মণিকূটৰ নিবেদন

কৌশিক নন্দন বৰুৱা

নিৰিবিলি

নিৰিবিলি

এটি নীৰৱ কাহিনী

- কৌশিক নন্দন বৰুৱা

Kaushik

#নিৰিবিলি

Part 1

স্মৃতিয়েই মনৰ আটাইতকৈ চহকী সম্পদ ; য'ত দুখ আৰু সুখ দুয়োটাই সমান গুৰুত্ব পায় । সেই স্মৃতিৰেই এখনি সেউজীয়া পথাৰ "ইউনিভাৰ্চিটী"। অসমৰ মাজমজিয়াত ঊষানগৰী শোণিতপুৰতো জিলিকি আছে তেনে এখনি স্মৃতিৰ চৰণীয়া পথাৰ । তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় । চমুকৈ TU, অথবা কোনো প্ৰেমিক কবিৰ কলমে কোৱা "কাঞ্চনৰ চহৰ"।

সন্ধ্যা ৰাগিনী বৰুৱা । উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কাঞ্চন নগৰীৰ আজি বাসিন্দা হোৱাৰ পথত । মাক দেউতাকৰ আলাসৰ লাৰু ঘৰখনৰ একেজনী ছোৱালী সন্ধ্যাই ককা আইতাক, খুৰাক খুৰীয়েকহঁতৰ মাজৰ পৰা আহিব নোখোজে তেজপুৰলৈ । হাজাৰ বুজনি আৰু প্ৰতি সপ্তাহে ঘৰলৈ গৈ থকাৰ এশ এবুৰি প্ৰতিশ্ৰুতি লৈ চকুৰ পানী মচি মচি সন্ধ্যা সোমালগৈ জ্যোতি তোৰণৰ সিপাৰৰ সেউজীয়া পৃথিৱীখনত ।

হোষ্টেলটোৰ সমুখতে এজোপা কৃষ্ণচূড়া । কাষতেই সোণাৰু জোপাও আছে । যেন কোনোবা চিত্ৰকৰে অঁকা এখনি সুন্দৰ চিত্ৰপট । তেজপুৰ বিশ্ববিদ্যালয়ৰ সোৱণশিৰী ছাত্ৰীনিৱাসত আজি সন্ধ্যাৰ প্ৰথমটো দিন । অলপ আগতে মাক দেউতাকৰ সৈতে তাই আহি সোৱণশিৰী হোষ্টেলৰ ১৩২ নং কোঠাত আৱাসী হৈছেহি । প্ৰথম বাৰৰ বাবে ঘৰৰপৰা আঁতৰত থকাৰ বাবে সন্ধ্যা যেন আশ্বস্ত হ'ব পৰা নাই । তেজপুৰ বিশ্ববিদ্যালয় অন্য বোৰতকৈ বহু পৃথক বুলি তাই শুনিছে । এই সেউজীয়াৰ মাজৰ পৰিৱেশটো তাইৰ সঁচাই পচন্দ হৈছে । কাঞ্চন আৰু নাহৰৰ গছবোৰ ঘূৰি ঘূৰি চাইছে সন্ধ্যাই । ইমান ধুনীয়া । কেম্পাছ নহয় যেন কোনোবা সাহিত্যিকৰ কলমেৰে নিগৰা সপোন হে । কিন্তু তথাপিও কৰবাত ভয়টোৱে লগ এৰাই নাই তাইক । নতুন ঠাই । নতুন মানুহ । তাতে "ৰেগিং" নামৰ শব্দটোৱে সপোনতো খেদি ফুৰিছে তাইক । বহুতে কৈছে ইয়াত হেনো ৰেগিং নহয় । দেখিছে, তাইও দেখিছে, কেম্পাছৰ অলিয়ে গলিয়ে ওলোমাই থোৱা হৰ্ডিং বোৰে যেন বাৰে বাৰে সকীয়াই আছে । তথাপি, ৰাতিখন নো কি বিশ্বাস ? ছিনিয়ৰ দুই তিনিজনী হুৰমুৰকৈ সোমাই আহিলে তাইক হৰ্ডিঙে বচাবহি নে কিবা !

: "কি হ'ল, ভয় লাগিয়েই আছে নি?"

হঠাৎ কথাবোৰ ভাবি থাকোঁতেই ৰুমমেট বিদিশা বা সোমাই আহিল ।

Kaushik

: "নাই বা,এনেই আৰু অলপ ।" কওঁ নকওঁকৈ ক'লে তাই ।

: "একো নাই । লাহে লাহে চব ঠিক হৈ যাব । ক্লাছ আৰম্ভ হোৱাৰ পাছত এইবোৰ ভাবিবলৈ সময় নাপাবা । অলপ ওলাই যাওঁ বলা । মনটো ভাল লাগিব তোমাৰ।"

মন নাছিল যদিও প্ৰথম দিনাই নাযাওঁ কবলৈ বেয়া লাগিল বাবেই ওলাই আহিল সন্ধ্যা । তেজপুৰ ইউনিভাৰ্চিটিৰ সেউজীয়া বোৰেই তাইৰ আটাইতকৈ বেছি ভাল লাগে। এই সন্ধিয়াৰ সময় খিনিত university খনে এটা যেন বেলেগ ৰূপ হে লয়। বিদিশা বাৰ লগত সন্ধ্যা গেটৰ বাহিৰৰ versity corner লৈ গৈছিল । বাৰ কিবা বস্তু আনিব লগা আছিল । মানুহে যেন ভৰি আছিল দোকান খন । পুৰণি খিনিৰ বাবে দুমাহৰ অন্ততঃ মৰমৰ চৌহদটোত লগৰবোৰৰ লগত ঘূৰাৰ মাদকতা । নতুন খিনিৰ হয়তো নতুন বুলিয়েই সতেজতা । বিদিশা versity ৰ কাষৰ মেডিকেল খনলৈ গৈছিল কিবা ঔষধ লবলৈ। আৰু সন্ধ্যা ৰৈ আছিল অকলেই । হঠাৎ কেইটামান লৰাৰ হাঁহি শুনি কাষলৈ ঘূৰি চাই দেখে তাইৰ ঠিক কাষতে চাৰি টা মান ল'ৰাই চিগাৰেট খাই আছে। টিঙিচ কে উঠি অহা খং টো দমাই ৰাখিলে তাই যেনে তেনে। ইমান অভদ্ৰ নে? University ৰ ভিতৰত খাব নিদিয়াৰ বাবেই বাহিৰত সুবিধা টো নেৰে এওঁলোকে। এবাৰ ল'ৰা কেইটাৰ ফালে চাই মুখ ঘূৰাই দিলে তাই। চিগাৰেটৰ গোন্ধ এনেও সহিব নোৱাৰে তাই। এনেয়ে হোৱা হ'লে সন্ধ্যাই কৈয়ে দিলে হেঁতেন । পিছে এতিয়া প্ৰথম দিনাই ফেপেৰি পাতি নিজৰ ভৰিত কুঠাৰ নামাৰে তাই ।

:"যাওঁ বলা সন্ধ্যা। তোমালোক new comers ৰ আকৌ সোনকালে intime নহয়।"

ভালেই। এনেও চিগাৰেটৰ গোন্ধত অশান্তি লাগিছে তাইৰ । বিদিশাৰ লগত গেটৰ ভিতৰলৈ খোজ ললে সন্ধ্যাই ।

"ঐ, চিগাৰেট টো পেলাই দিলা যে, কেলে বে"

হঠাৎ কথাখিনি সন্ধ্যাৰ কাণত পৰিল হি । কোন বাৰু চিগাৰেট পেলাই দিয়া জন। কেনেবাকৈ তাইৰ মুখৰ ভাঁজত গম পালে নেকি অশান্তি পাইছে বুলি । বিদিশা গ'লেই । চাওঁ বুলিও ঘুৰি চাব নোৱাৰিলে তাই।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 2

বাহিৰৰ পৰা আহি মাকলৈ ফোনটো লগালে সন্ধ্যাই । মাকৰ মাত থোকা থুকি হৈয়েই আছে । তাইৰো চকুলো ভৰি আহিছিল যদিও উমান নিদিলে তাই । সঁচাই, ঘৰত মকৰা এটা দেখিলেও মা ঔ বুলি কন্দা সন্ধ্যাই আজি চকুপানীও লুকুৱাব পৰা হ'ল । ফোনটো থওঁতেই হঠাত ছোৱালী দুজনীমান সোমাই আহিল ৰুমলৈ ।

:"বিদিশা ঔ, তোৰ বোৱাৰী চাবলৈ আহিলোঁ । ক'তনো লুকুৱাই থৈছ ?"

"কি ফটুৱা" বুলি হাঁহি উঠিল বিদিশাই । বাকী কেইজনীয়েও । এইফালে সন্ধ্যাৰ বুকু ধপধপ । কি বা কৰে । কিন্তু নাই, তাই ভবাৰ দৰে একোৱেই নহ'ল । গোটেই কেইজনীয়ে তাইৰ নাম, ঠিকনা এইবোৰ হে সুধিলে । তাইও উত্তৰ দি গ'ল । এবাৰত ৰীণা নামৰ ফূৰ্তিবাজ বাজনীয়ে সুধিলে, "বোলো কিবা বোৱা কটা জানা নে বোৱাৰী?"

একো নুবুজি বেঙীৰ দৰে চাই থাকিল সন্ধ্যাই । হাঁহি হাঁহি বিদিশায়েই বুজাই দিলে যে গান নাচ কিবা জানা নে সুধিছে । "অলপ চলপ গান গাওঁ" বুলি কওঁতে তাইক গাব পাৰিবা নেকি সুধিলে । বিদিশাই মানা কৰিছিল যদিও সন্ধ্যাই নিজে গাম বুলি ক'লে । কম সময়ৰ ভিতৰতে নিজৰ দৰে হৈ পৰা বা কেইজনীৰ অনুৰোধটো পেলাবলৈ তাইৰ মন নগ'ল । সঁচাকৈয়ে TU বেলেগ । আনৰ দৰে ragging ইয়াত একেবাৰেই নাই । সন্ধ্যা আশ্বস্ত হ'ল । গানটো গাই হোৱাৰ পাছতে যেন ৰীণা বাই চিএৰি উঠিল,

:"অহাবাৰ তেন্তে versity week ত আৰু পেপচি কোলা ললিপপ"

একে সুৰতে বাকী কেইজনীয়েও চিএৰিলে,

"সোৱণশিৰী অন দা টপ"

তেনেতে প্ৰিফেক্ট দীপা বা সোমাই আহিল দৌৰি,

:"তহঁত কেইজনী বলিয়া নেকি? ফাৰ্ষ্ট ইয়েৰৰ নিচিনাকৈ উৎপাত কৰিছ যে? যাচোন ৰুমলে যা । ৱাৰডেন মেম আহিবৰ হৈছে।"

ধমক খাই সুৰসুৰকৈ ওলাল গোটেইকেইজনী । দীপাই সন্ধ্যাক বেয়া নাপাবলৈ কৈছিল।

Kaushik

:"নাই বা, অলপো বেয়া পোৱা নাই। বাহঁতে ধেমালি কৰিহে আছিল।" হাঁহি মুখেৰে ক'লে তাই । মনটো মুকলি লাগিল সন্ধ্যাৰ । সময়বোৰ আপোন কৰিব যেন পাৰিব তাই । বিশ্বাস আহিল । কিছু সময়ৰ পাছত ভাত খাই টোপনিত পৰিল ।

ৰাতিপুৱা মুঠ 5 টা departmentৰে গঠিত প্ৰকাণ্ড Humanities ৰ building টোৰ সন্মুখত ৰৈ থৰ লাগি আছিল সন্ধ্যা। কোন ফালে যাব কেনি যাব একো যেন আও ভাও পোৱা নাছিল তাই।

:"Excuse me, তুমি ও integrated ৰ নেকি?"

পিছলৈ ঘূৰি চাই চিনাকি চেহেৰাৰ ছোৱালী এজনী দেখিলে সন্ধ্যাই ।

:"মই প্ৰিয়া, কালি mess ত তোমাক দেখিছিলোঁ।"

এতিয়া হে মনত পৰিল সন্ধ্যাৰ। ছোৱালীজনী সোৱণশিৰী হোষ্টেলৰে। হওঁক তেও, এই অচিনাকি চহৰত চিনাকি ছোৱালী এজনীয়ে অলপ সাহস দিলে তাইক। দুয়ো EFL মানে English and Foreign Language ডিপাৰ্টমেন্টৰ ভিতৰলৈ সোমাই গ'ল। গোটেই বিল্ডিংটোত হিন্দী, ইংৰাজী, সমাজশাস্ত্ৰ, সংস্কৃতি অধ্যয়ন, শিক্ষা ৫ টা বিভাগ । আচৰিত কায়দাৰে গোটেইকেইটা দিপাৰ্টমেন্ট থিয় দি আছে । সন্ধ্যাৰ গোটেইখন কিবা তলাতল ঘৰ যেন হে লাগিছিল । এপাক ঘূৰি শেষত ইংৰাজী ডিপাৰ্টমেন্টটো ওলালগৈ সন্ধ্যাহঁত । তাৰ অফিচৰ পৰাই course registration ৰ ফৰ্ম লৈ পূৰ কৰিবলৈ লাগিছিল দুয়ো। প্ৰিয়াৰ হৈ যোৱাত তাই submit কৰিবলৈ আগুৱাই গ'ল। সন্ধ্যাৰ লিখা হোৱাত ৰুম টোৰ পৰা ওলাই আহি অফিচত submit কৰিবলৈ লাইনত ৰৈছিল। হঠাৎ তাই form খনত মন কৰিলে roll number টো ভুলকৈ লিখিলে। bag টো খুচৰি হোৱাইট নাৰটো বিচাৰোঁতে মনত পৰিল ৰুমতে এৰি থৈ আহিল। কি হৈছে মানে তাইৰ। ইমান careless হ'ব লাগে নে । ছেহঃ। এই প্ৰিয়া জনীও ক'ত যে গ'ল।

"Excuse me, হোৱাইট নাৰ হ'ব নেকি?" লাজ মান কাটি তাইতকৈ লাইনত আগত থকা ল'ৰা জনক সুধিলে তাই। কোনো প্ৰতিক্ৰিয়া নকৰাকৈ এবাৰতে হোৱাইট নাৰটো উলিয়াই দি আগবাঢ়ি গুচি গৈছিল ল'ৰাজন। কি আচৰিত ও, এনেকৈ machine ৰ নিচিনাকৈ behave কৰে নে মানুহে। নিজৰ লগতে ভোৰভোৰাই ফৰ্মখনত ৰোলনংটো শুদ্ধ কৰি submit কৰিছিল সন্ধ্যাই। কিন্তু ল'ৰাজন ক'ত, তাক এইটো দিয়াই নহ'ল নহয়। হেই ।

Kaushik

"ঐ, সন্ধ্যা, হ'ল নে কাম? ব'লা।" ক'ৰবাৰ পৰা ওলালহি প্ৰিয়া । অগত্যা দুয়ো জনী হোষ্টেলৰ ফালে আগবাঢ়িল। হোষ্টেল পাই হি মানে প্ৰিয়াৰ লগত বহুখিনি সহজ হৈ উঠিছিল সন্ধ্যা । সিহঁতৰ হোষ্টেলৰ গলীটোত সোমোৱাৰ আগত essentials নামৰ এখন দোকান আছিল, ঠিক দোকান বুলিও ক'ব নোৱাৰি চাগে। কাৰোবাৰ বাবে আড্ডাৰ থলী, কাৰোবাৰ বাবে জিৰণি আদি বহুত সংজ্ঞা essentialৰ। সন্ধ্যাৰ কিবা কিনিবলৈ থকাৰ বাবে দুয়ো জনী সোমাল তাত। essentialৰ বাহিৰত মুকলি ঠাই খিনিত ওখ ওখ গছকেইজোপাৰ তলত সৰু সৰু টেবুল আৰু চকী পাৰি থোৱা থাকে। দিনটোৰ বেছিভাগ সময়ে তাত studentয়ে ভৰি থাকে। তেজপুৰ ইউনিভাৰ্চিটীৰ যেন প্ৰাণকেন্দ্ৰ এই essential। দৰকাৰী বস্তু কেইটা কিনি ওলাই আহোতেই হঠাত সন্ধ্যাৰ চকুত পৰিল চাৰি পাঁচ জন মান ল'ৰাৰ লগত সেই ল'ৰা জনো বহি আছিল। কি কৰে, হোৱাইট নাৰটো দি আহিবগৈ নেকি তাই, কি যে নিলাজৰ নিচিনা কথাবোৰ ভাবিছে তাই, বাদ দে পাছত কেতিয়াবা দিম বুলি essentialৰ গেটখন পাওতেই তাইৰ কাণত পৰিল, "অনুৰণ ৰে দিন আৰু দেই, হোৱাইট নাৰ দিয়া লোৱা হ'লেই।"

অনুৰণ, কিয় জানো নামটো মনতে এবাৰ আওঁৰালে তাই।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 3

হোষ্টেল আহি সোমায়েই আচৰিত হ'ল সন্ধ্যা আৰু প্ৰিয়া । প্ৰথম মহলাত কোনোবাই চিঞৰি চিঞৰি গালি পাৰি আছে । বিদিশাৰ লগতে সন্ধ্যাইও গৈ দেখে কালি লগ পোৱা ৰীণা বা ।

:"শেষ কৰিলে এই অভদ্ৰ কেটাই । নোৱাৰোঁ আৰু মই । নাথাকোঁ যা হোষ্টেলত ।" কৰিডৰতে থিয় হৈ ৰীণাৰ গালি ।

:"কি হ'ল নো বিদিশা বা, কাক গালি দি আছে ৰীণা বাই ?" ভয়ে ভয়ে সুধিলে সন্ধ্যাই । ৰীণাৰ ৰুমৰ কাষৰ গছজোপালৈ আঙুলিয়ালে বিদিশাই । সন্ধ্যাই আগুৱাই গৈ দেখে এটা মলুৱা, হৰলিক্সৰ টেমাৰ পৰা বিস্কুট উলিয়াই খাই আছে ।

"বান্দৰ?" আশ্চৰ্যত চিঞৰি উঠিল সন্ধ্যাই ।

"বান্দৰ, নহয় । ইহঁত মস্ত চোৰ । চোৰো নহয়, ডকাইত এইকেটা । গ'লি নে তই?" ৰীণাই চোঁচা লোৱা দেখি বান্দৰটোও আঁতৰিল।

"তোক চাগে সীতা বুলি ভাবিছে বুইছ ৰীণা, সেই কাৰণে খবৰ কৰিবলে আহি থাকে।" কাষৰ ৰুমৰ দীপ্তিয়ে চিঞৰিলে।

"সীতা নহয়, কোনোবা দিনা ৰাৱণ হৈ ইহঁতৰ নেগুৰত জুই লগাই আছোঁ চাই থাক।"

ৰীণাৰ উত্তৰত হাঁহিৰ জোৱাৰ।

"বঢ়িয়া, next cultural rally ত তই খাটাং ৰাৱণ" এইবাৰ দীপা বা আহিল।

"খং উঠি আছে, জোকাই নাথাক।" বুলি ৰুমটোলৈ ভোৰভোৰাই সোমাই গ'ল ৰীণা। বিদিশা, দীপ্তিহঁতেও গৈ বান্দৰে ছেদেলি ভেদেলি কৰি যোৱা ৰীণাৰ ৰুমটো ঠিক কৰাত লাগিল। কোনোবা এজনীয়ে ঝাৰু এডাল আনি সাৰিব ধৰিলে। গোটেই দৃশ্যবোৰ ৰুমৰ বাহিৰৰ বেৰখনত আউঁজি চাই আছে সন্ধ্যাই। ৰীণাই এষাৰো নোকোৱাকৈ গোটেই কেইজনীয়েই কামত লাগিলে । এই যে সহায়বোৰ, এই যে মৰমবোৰ, এই যে আপোন আপোন ভাৱ বোৰ হয়তো হোষ্টেলতেই সম্ভৱ । সঁচাকৈ জীৱনৰ আদিপাঠ এই হোষ্টেল । নজনাকৈ এটি মৰমলগা পৰিয়ালত সোমাই পৰিছিল সন্ধ্যা ।

:"ন বোৱাৰী বাহিৰতে ৰ'লা যে। আহা সোমাই আহা" ৰীণাৰ মাতত সন্ধ্যাই বুজিলে আগৰ ফৰ্মত আহি গ'ল ৰীণা বা।

"পাছত আহিব" বুলি কৈ বিদিশাই লৈ আনিলে সন্ধ্যাক। ভাত খাই বিচনাত উঠিল দুয়োজনী।

সন্ধিয়া ফোনৰ শব্দত সাৰ পালে সন্ধ্যাই। এফালৰ পৰা কৈ গ'ল মাকক দিনটোৰ কাহিনীবোৰ। মাকেও মন কৰিলে কালিতকৈ আজিৰ মনটো ফৰকাল। সঁচাই, এজনী ছোৱালীৰ বাবে মাকতকৈ প্ৰিয় বান্ধৱী আৰু কোন হ'ব পাৰে। প্ৰিয়াৰ লগত ওলাই গৈছিল সন্ধ্যা। এই যে ইউনিভাৰ্চিটীৰ সন্ধিয়া, উফ কি যে এক অন্য মাদকতা। চাৰিওফালে কোঁহাল। কোনোবাই যদি লগৰ বন্ধুৰ লগত আড্ডা মাৰিয়েই ঘূৰিছে, কোনোবাই আকৌ নিজৰ প্ৰিয়জনৰ লগতে সন্ধিয়াৰ কবিতা ৰচিছে। কোনোবাই যদি essential ত বহি হাঁহিৰে মেহফিল সজাইছে, কোনোবাই হয়তো কাণত হেডফোন লগাই অশ্ৰুকেই কাহিনী শুনাইছে। চাৰিওফালে নানা চৰিত্ৰ। খোজকাঢ়ি আহি সন্ধ্যা কাঞ্চনজংঘা হোষ্টেলৰ ওচৰত থকা পুল এটাত বহিল । শাৰী শাৰীকৈ থকা boys hostel

kaushik

বোৰৰ সমূখত প্ৰকাণ্ড ফিল্ডখন। কোনোবাই ক্ৰিকেট, কোনোবাই ফুটবল। কোনোবাই হয়তো এনেয়ে এপাক দৌৰে। পুলটোৰ পৰা গোটেই ফিল্ডখনেই দেখি। সমুখতে এজোপা নাহৰ। সন্ধ্যা বহাৰ পাছতে এচাটি পাতলীয়া বতাহ। আস্! কি যাদু আছে এই চৌহদটোত।

:"সন্ধ্যা, যাওঁ ব'ল। দেৰি হ'ব।" প্ৰিয়াৰ মাতত উঠি আহিল। পুলটো আৰু সেই নাহৰজোপালৈ এবাৰ উলটি চালে। আকৌ আহিব তাই।

ৰাতি ভাত খাই উঠাৰ পাছতেই সন্ধ্যাহঁতে পাইছিল সেই ভাৰতবৰ্ষ কঁপাই যোৱা খবৰটো। প্ৰাক্তন ৰাষ্ট্ৰপতি ডং আব্দুল কালাম আৰু নাই । কাৰোৰে যেন বিশ্বাস হোৱা নাছিল । মিছন ইণ্ডিয়া, অগ্নিৰ ডেউকাৰ কথাবোৰ চিলাৰ দৰে চকুৰ আগেৰে গৈছিল সন্ধ্যাৰ । হয়তো তাইৰ দৰে বহুতৰ । সঁচাকৈ, ভাৰতে এটি নক্ষত্ৰ হেৰুৱালে । কালামদেৱক সন্ধ্যাই ব্যক্তিগতভাৱে কেতিয়াও লগ পোৱা নাছিল । তেও এনেকুৱা লাগিছিল যেন নিজৰ ঘৰৰে কোনোবা । এৰা, মহান মনীষী সকল এনেকুৱাই । মৃত্যুৰ পাছতো নিজক ৰাখি থৈ যায় । নিজৰ কৰ্মৰে, জ্ঞানেৰে ।

".....তোমাৰ স্নেহ, আদৰ-যত্ন আৰু আস্থাই

মোক শক্তি দিলে

নিৰ্ভয়ে পৃথিৱীৰ স'তে মুখামুখি হ'বলৈ

ঈশ্বৰৰ শক্তিৰে ।

হে মোৰ মাতৃ !

মহান কেয়ামতৰ দিনাখন

আমি আকউ লগালগি হ'ম !"

সন্ধ্যাৰ মনত পৰিছিল ডং কালামে লিখা "মোৰ মা" নামৰ তাইৰ আটাইতকৈ প্ৰিয় কবিতাটিৰ শেষৰ পংক্তিশাৰী । এৰা, গুছি গ'ল তেখেত । গোটেই বিশ্বক কন্দুৱাই, ভাৰতক অকলে এৰি ।

কাইলৈ হয়তো ক্লাছ নহ'বও পাৰে । কিন্তু যাবতো লাগিবই । সোনকালে বিচনাত পৰিল সন্ধ্যা ।

Kaushik

ৰাতিপুৱা সোনকালে উঠাৰ অভ্যাস সন্ধ্যাৰ ঘৰতো নাছিল। হোষ্টেলততো সম্ভৱেই নহয়।

:"ঐ সন্ধ্যা, class পাবা গে নে আজি। উঠা উঠা।"

বিদিশাৰ মাততহে সাৰ পালে সন্ধ্যাই। ৮ টা বাজি গ'ল। ৯ টাৰ পৰা ক্লাছ। শেষ আজি। লৰালৰিকৈ উঠি গা টো ধুই ক্লাছলৈ ওলাল তাই। ঠিক ৮.৫০ মনত ক্লাছত সোমাল প্ৰিয়াৰ লগত। এজাক মান অচিনাকি লৰা ছোৱালীৰ মাজত প্ৰিয়া নথকা হ'লে তাই বৰ অকলশৰীয়া হলহেঁতেন। elective sociologyৰ ক্লাছ আছিল। first class হিচাপে বৰ সুন্দৰ কৈ গৈছিল class টো। সকলোৱে চিনাকি দি গৈছিল, নিজৰ নাম আৰু ঠিকনাৰে।

:"My name is Sandhya Ragini Baruah, I am from Biswanath Chariali." তাইও দিলে।

দিনটোৰ ভিতৰতে নিমিষা, জুৰি, সীমা আদিকে ধৰি ভালে কেইজনী ছোৱালীৰ লগত সন্ধ্যাৰ চিনাকি হ'ল। তাইৰ এই গুণটোৰ কথা সকলোৱেই কয়। খুব সোনকালেই মানুহৰ লগত মিলি যাব পাৰে তাই। ইয়াকে লৈ অলপ অহঙ্কাৰ ও নথকা নহয় তাইৰ। সন্ধ্যাৰ ভাল লাগিছিল লগৰ গোটেই কেইজনী ছোৱালীয়ে তাইৰ দৰে। কথা পাতিবলৈ পালে একো নালাগে।

:"Myself Anuran Hazarika, from Dibrugarh." হঠাত চক খাই উঠিল সন্ধ্যা। ঘূৰি চালে, হয়। তাই ভবাটোৱেই। সেই ল'ৰাটোৱেই হয়। তাই যে হোৱাইট নাৰ আনিছিল। ওখকৈ চুটি চুলিৰ ল'ৰাটো। ক'ত পঢ়ে কিবা কিবি কৈছিল সি। খুব শান্ত এটা মাত। যেন লাজ লাজ ভাৱ। সন্ধ্যাৰ চকু বাৰে বাৰে ল'ৰা বহা শাৰী টোৰ last বেঞ্চ খনলৈ গৈ থকাটো প্ৰিয়াই ঠিক ধৰা পেলাইছিল।

"ঐ, কি হৈছে, চকু বাৰে বাৰে সেইফালে যে,"

ধৰা পৰাৰ ভয়ত চিঞৰি উঠিল সন্ধ্যা।

"কি যে কোৱা তুমি, এনেই ক্লাছটো চাব নোৱাৰি নি কিবা"

দুষ্টালি হাঁহি এটা মাৰি আঁতৰি গৈছিল প্ৰিয়া।

3rd ক্লাছৰ পাছত সিহঁত দুজনীমান উঠি অলপ ওলাই গৈছিল। কোনো teacher অহা নাছিল বাবে ক্লাছটো অলপ বিশৃংখল হোৱাৰ দৰে হৈছিল। তেনেকুৱাতে এজন ল'ৰাই

Kaushik

সন্ধ্যা হঁতৰ বেঞ্চৰ আগত আহি ক'লে, "তোমালোকৰ ফোন number কেইটা দিবা নেকি"

কথা নাই বতৰা নাই ফোন নম্বৰ? তাকো অচিনাকি ল'ৰাক? কি নিলাজ ল'ৰা। না আগতে দেখিছে না লগ পাইছে। টিঙিচ কে উঠি আহিছিল সন্ধ্যাৰ খং টো। বহুত চেষ্টা কৰিও নিজক ৰখাব নোৱাৰি কৈ উঠিল তাই, "কিহৰ সুখত ফোন নম্বৰ বিলাম?"

(আগলৈ)

#নিৰিবিলি

Part 4

"তুমি কিবা সুখ পাবলেহে নম্বৰ বিলোৱা নেকি?" চকুত দুষ্টালি হাঁহিৰে ল'ৰাটোৰ উত্তৰ। লগৰ কেইজনীৰ গিৰ্জনি মৰা হাঁহিত কঁপি উঠিছিল ক্লাছটো। কাণ মূৰ গৰম হৈ গৈছিল সন্ধ্যাৰ। ইমান অসভ্য ল'ৰা। আগৰ কলেজত হব লাগিছিল, ভালকৈয়ে এজাউৰি দিলে হয় তাই। তাইৰ অৱস্থা হয়তো ল'ৰাটোৱেও ধৰিব পাৰিছিল, সেইবাবেই আকৌ সিয়েই মাত লগালে, "sorry sorry, actually মই ক্লাছৰ চব ৰে নম্বৰ লৈ এটা whatsapp group খুলিম ভাবিছোঁ। অলপ আগতে ছাৰে কৈছিল না এটা group খুলি ল'লে ভাল হ'ব বুলি"

"তাকে ভালকৈ ক'ব নোৱাৰা নেকি, এনেই উল্টা পুল্টা কথা কৈ আছা যে" মুখ খন এপাচি মান কৰি উত্তৰ দিলে সন্ধ্যাই। আচলতে ভীষণ লাজ লাগিছিল তাইৰ।

"অলপ ধেমালি কৰিলোঁ আৰু, by the way miss বৰুৱা, ছোৱালী সকলৰ ফোন নম্বৰ কেইটা collect কৰি মোক দিব আপুনিয়েই। nd মোৰ চিনাকিতো ইতিমধ্যে পাইছায়ে চাগে, myself অভিমন্যু, from গোলাঘাট।" কথাকেইটা কৈ আঁতৰি গ'ল ল'ৰাটো।

"কোনে বা introduction সুধিছে তেওঁৰ" বুলি ভোৰভোৰাই উঠিল সন্ধ্যা।

"Hey সন্ধ্যা, chill অভিয়ে ধেমালি কৰিছে। তাক চিনি পাওঁ মই। সি লৰাটো এনেকুৱাই।" মনীষা নামৰ গোলাঘাটৰে ছোৱালী জনীয়ে তাইৰ কান্ধত হাত দি কৈ উঠিল।

Kaushik

ধেমালি সন্ধ্যাইও নুবুজা নহয়। কিন্তু প্ৰথম লগ পাইয়েই কোনে এনেকুৱা কৰে বাৰু। সৰুৰে পৰাই ঘৰত সকলোৰে মৰমৰ মাজত ডাঙৰ হোৱা সন্ধ্যাৰ অভিমান অলপ বেছিয়েই। মুখখন ফুলিয়েই আছিল তাইৰ।

:"ঐ, হ'ব দে। এতিয়া খং উঠাই নাথাকিবি। এইবোৰ চলেই আৰু।" প্ৰিয়াই কাষলৈ আহি বুজালে তাইক।

:"কি চলে হা? তহঁতৰ ফালে চলিব পাৰে। আমাৰ ফালে নচলে। অচিনাকী মানুহক এনেকে কথা নকয়।"

প্ৰিয়াৰ হাঁহি উঠিল। এই ছোৱালীজনী যে ! ডাঙৰ হোৱাই নাই যেন তাই।

:"হ'ব বাৰু। এইবাৰৰ পৰা কিবা ক'লে তইও গালি দি দিবি তাক। এতিয়া মুখখন ফুলাবলে এৰ" সন্ধ্যাৰ গালখনত জোৰকৈ চেপি দিলে প্ৰিয়াই।

তেনেকুৱাতে সিহঁতৰ ক্লাছৰে মনশ্ৰীয়ে য়ে খবৰ টো আনিলে, আজি আৰু ক্লাছ নহয় বুলি। আব্দুল কালাম দেৱৰ মৃত্যুৰ বাবে ক্লাছ cancel হৈছে। সকলোকে Community hall লৈ যাব দিছে।

:"Community hall? এইটো আকৌ ক'ত?"

সন্ধ্যাই ফুচফুচাই সুধিলে প্ৰিয়াক। আচলতে এতিয়াও চৌহদটোৰ বহু ঠাই এতিয়াও তাই চিনি পোৱা হোৱাই নাই।

:"মই জানো, ব'ল।" প্ৰিয়াই থিয় হৈ ক'লে।

ইউনিভাৰ্চিটীয়ে হওঁক বা স্কুলেই, "class is cancelled" শাৰীটো I love you তকৈও প্ৰিয় সকলোৰে। খবৰটো পাইয়ে গোটেইবোৰে হুৰমুৰ লগালে। যেন সেইটোৰ বাবেই বাট চাই হে আছিল। লৰালৰিকৈ সকলো যাবলৈ ওলাল bag লৈ।

"ঐ সন্ধ্যা, ৰৈ আছ যে, ব'ল আকৌ"

হাতত কালিৰ ল'ৰাটোৰ হোৱাইট নাৰটো লৈ থৰ হৈ থকা সন্ধ্যাক ঠেলা এটাক মাৰি সুধিলে প্ৰিয়াই।

"তই গৈ থাকচোন মই আহি আছোঁ।" বুলি প্ৰিয়াক পঠিয়াই ৰৈ গ'ল সন্ধ্যা। নাই, আজি দিব লাগিব। কথা টো বেয়া হৈছে, সি যে কি বুলি ভাবিছে চাগে। মনতে কথা থিনি ভাবি এখোজ দুখোজ কৈ ল'ৰা বহা শাৰীটোলৈ আগবাঢ়ি গ'ল সন্ধ্যা। ছোৱালী

Kaushik

প্ৰায় খিনিয়েই বাহিৰ ওলাইছিল যদিও, ল'ৰা বেছিভাগ ওলোৱা নাছিল। তেও সাহ কৰি সেই ল'ৰাজনৰ ওচৰ পালেগৈ তাই।

"Excuse me, তোমাৰ হোৱাইটনাৰটো মোৰ তাতে থাকি গৈছিল কালি" তাৰ ফালে আগবঢ়াই দি কৈ উঠিছিল সন্ধ্যাই।

"ও" বুলি লৈ ৰুমটোৰ পৰা ওলাইছিল সি। কি আচৰিত ল'ৰা। মুখেৰে একো এটা কথা নাই। ই কথা ক'ব পাৰে নাই বাৰু। মানুহ নে মেচিন অ' । কথাখিনি ভাবি থাকোতেই mobile টো বাজি উঠিল সন্ধ্যাৰ। প্ৰিয়াৰ ফোন,

"ঐ, আহিছ নে, মই ডিপাৰ্টমেন্টৰ বাহিৰতে আছোঁ"

"গৈছোঁ" বুলি লৰালৰিকৈ বাহিৰ ওলাল তাই। প্ৰিয়াক লগ লৈ কমিউনিটী হলৰ ফালে খোজ ল'লে।

প্ৰকাণ্ড ফিল্ডখনৰ এটা মূৰতে এই হলটো। প্ৰেক্ষাগৃহবোৰৰ দৰেই, কিন্তু সম্পূৰ্ণ খোলা। কোনো বেৰ নাই। Open Pandal বোৰৰ দৰেই। হলটো সন্ধ্যাই দেখিছে। মাত্ৰ সেইটোৱেই বুলি জনা নাছিল। ইতিমধ্যে বহুখিনি মানুহ আহি জমা হৈছিল তাত। VC ছাৰো কিছু সময়ৰ পাছত পালেহি। মৌন প্ৰাৰ্থনা পাছতেই কোনোবাই কালামদেৱৰ "মোৰ মা" কবিতাটি আবৃত্তি কৰিলে। ক'ব নোৱাৰাকৈ চকু ভৰি আহিছিল সন্ধ্যাৰ। ভাল মানুহবোৰ কিয় এইদৰে নোহোৱা হৈ যায় বাৰু। অনুষ্ঠান শেষ হোৱাত প্ৰিয়ায়েই ক'লে "ব'ল কেফেটেৰিয়া যাওঁ কফি একাপ খাম।"

কমিউনিটী হলৰ কাষতেই Dean ৰ অফিচ। তাৰ ঠিক কাষতেই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহ। সন্ধ্যাই চালে বাহিৰৰ পৰাই। সমুখত কলাগুৰুৰ মূৰ্তিটো থিয় দি আছে। ইমান ধুনীয়া প্ৰেক্ষাগৃহটো। admission ৰ সময়ত ভয় আৰু চিন্তাতে ভালকৈ মনেই কৰা নাছিল তাই। সমুখত এজোপা সোণাৰু। তলসৰা ফুলে যেন এখনি হালধীয়া দলিচা হে পাৰি থৈছে। সন্ধ্যাই বুটলি ল'লে দুপাহিমান। গছত লগা ফুল চিঙি আনিবলৈ চোন সত নাযায় তাইৰ। তাতকৈ সৰাফুলহে বেছি ভাল লাগে। পৰিলেই যেনিবা সৰি, সেইবুলি জানো হেঁপাহবোৰক গচকি যাব পাৰি?

প্ৰেক্ষাগৃহৰ সমুখৰ ৰাস্তাটোৰ সিটো পাৰে কেফেটেৰিয়া। ফাষ্ট ফুডৰ পৰা আদি কৰি ভাতলৈকে সকলো পাই তাত। সন্ধ্যাহঁতে কফি আৰু কেক ল'লে। মাজে মাজে বতাহ। এই যে দুপৰীয়া সময়তো মিহিকৈ এচাটি বতাহ বলি থাকে, সন্ধ্যা যেন প্ৰেমতেই পৰিব

Kaushik

এই বতাহজাকৰ। সৌ নাহৰবোৰৰ। প্ৰিয়াৰ সৈতে এনেই কথা পাতি আছিল সন্ধ্যাই। হঠাৎ তাইৰ কাণত পৰিল,

"সন্ধ্যা যেতিয়া নামে,

জিলমিলাই কাঁচি জোনে,

আইলৈ মনত পৰে।"

কোনোবাই ফুচফুচাই যেন গাই আছে। কোনে গাইছে ইমান বেসুৰাকৈ। মন নকৰিলে তাই। কিছু সময়ৰ পাছত আকৌ কাণত পৰিল।

"সন্ধ্যা যেতিয়া নামে..."

এইবাৰ কিছু সন্দেহ হোৱাত ঘূৰি চালে তাই। সিহঁত বহা ঠাইখিনিৰ ঠিক পাছতে দুটা ল'ৰাৰ সৈতে অভিমন্যু। খঙত চকু পাক খাই আহিল সন্ধ্যাৰ। ইমান বেছি অভদ্ৰ।

"এইটো পাপন দাৰ গান বুইছ। বহুত ফেমাছ। মোৰটো all time favourite." লগৰ কেইটাক বুজাই আছে অভিমন্যুয়ে।

ৱাহ, কি acting, যেন একো নাজানে। খঙত উচাৎ মাৰি আঁতৰি আহিল সন্ধ্যা।

:"ঐ, কি হ'ল? গুছি আহিলি যে?" পিছে পিছে প্ৰিয়া।

:"দেখা নাই সেই অভদ্ৰটো। য'তে ত'তে ওলাই যায়।" সন্ধ্যাৰ খং।

"অহ্ অভিমন্যু মানে?" হাঁহি উঠিল প্ৰিয়াৰ।

"ব'ল নিৰিবিলি যাওঁ। mood ভাল হৈ যাব তোৰ" সন্ধ্যাই নাযাওঁ কৈছিল যদিও প্ৰিয়াই জোৰকৈ লৈ গ'ল তাইক। এই প্ৰিয়াজনী যে, অকল ঘূৰি ফুৰাই কাম। অৱশ্যে বেছেৰীৰো দোষ নাই। ফাৰ্ষ্ট ইয়েৰৰ ৭.৩০ টাত in time. গতিকে দিনতেই ঘূৰে আৰু।

ঠিক নিৰিবিলি পাইছিলহি সিহঁত। VCৰ ঘৰৰ সমুখৰ এটা পুখুৰীৰ পাৰত কেইবাখনো বেঞ্চ। লগতে শাৰী শাৰীকৈ কেইবাজোপাও ওখ ওখ গছ। গছকেইজোপাই ছাঁৰে ঢাকি সুন্দৰকৈ সজাইছে ঠাইখিনি। তেজপুৰ ইউনিভাৰ্চিটিৰ বৃন্দাবন বুলি প্ৰখ্যাত এই ঠাই খিনি কোনো উপন্যাসৰ স্বপ্নপুৰী যেন লাগে সন্ধ্যাৰ, আৰু এই যে নামটো। "নিৰিবিলি", Sign Boardতো লিখি থোৱা আছে। কোনে যে দিয়া। VC ছাৰৰ ঘৰৰ সমুখত বাবে কোনো হাই উৰুমিও নাই ইয়াত। কেৱল বতাহ আৰু প্ৰশান্তি। সঁচাই

Kausik

নিৰিবিলি এইখন। বতাহৰ মাজে মাজে যে দুই এটি সৰাপাত পৰে, পুখুৰীৰ পানীৰ কুলু কুলু শব্দটো যে উফৰি আহে। আস্! সঁচাই সপোনপুৰী। যেন কোনো নৈৰ পাৰৰ এক আচুতীয়া ঠাই। পক্ষীৰ সলনি য'ত মানুহেও জিৰায়। কিছু সময় তাতেই বহিল সন্ধ্যাহঁত। প্ৰিয়াই ফটো ল'লে। তাতেই অলপ সময় কথা পাতি উঠি আহিল। নিৰিবিলি ঠিক পাৰ হওঁতেই পিছফালৰ পৰা চিঞৰ এটা আহিল,

"প্ৰিয়া, আমাকো হোৱাইট নাৰ, পেন কিবা দিবলে ক'বা ঔ তোমাৰ বান্ধৱীক"

খঙত ঘূৰি চালে সন্ধ্যাই। অকাই পকাই সেউজীয়া cycle খন চলাই আহি থকা অভিমন্যুক দেখি মূৰটো গৰম হৈ গৈছিল সন্ধ্যাৰ। এইটোক চবতেই কেলেই পাই বাৰু। ৰাস্তাৰ মাজত কাজিয়া লাগিবলে মন নাছিল বাবেই মনে মনে থাকিল তাই। এজাউৰী হাঁহিৰে ল'ৰাৰ জাক টো পাৰ হৈ যোৱাৰ পাছত ভোৰভোৰাইছিল সন্ধ্যাই, "এইটোৰে চৰ খাব মোৰ পৰা কেতিয়াবা"

এটি সম্ভাব্য কাহিনীৰ সাক্ষী বহন কৰি নিৰিবিলিৰ বতাহ জাক যেন সেইদিনা জোৰ কৈয়ে বলিছিল। হয়তো এটি সৰাপাত উৰি নিৰিবিলিৰ কোনোবা উকা বেঞ্চত পৰিছিল।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 5

দিনবোৰ গৈ থকাৰ লগে লগে ইউনিভাৰ্চিটি খন সন্ধ্যাৰ আৰু ভাল লাগিবলৈ লৈছিল। essential ৰ হুলস্থুলীয়া আড্ডাবোৰৰ লগতে Amenity ৰ চিনাকি চাহ কাপ। "Amenity" ইউনিভাৰ্চিটী আন এটা চিনাকি নাম। চৌহদটোত সোমায়েই বাঁওফালে ঘূৰিলেই Shopping Complex। প্ৰিয়াহঁত দুজনী মানে দি লোৱা নাম "Shop com"। কিতাপৰ পৰা বিস্কুট চানালৈকে, momo ৰ পৰা শাক পাচলিলৈকে, ফুচকাৰ পৰা juice লৈকে কি নাই Shop Com ত। Shop Com ৰ আৰম্ভণিতেই ইউনিভাৰ্চিটীৰ বিখ্যাত ভাবীৰ দোকান। ৰুটি, চাহ, দৈ, আইচ ক্ৰীমৰ উভৈনদী। এই shop com সাৰিয়েই সন্ধ্যাৰ আন এখন প্ৰিয় ঠাই, "Amenity"। চাবলৈ গ'লে এখন হোটেল। কিন্তু তাত থকাসকলৰ বাবে Off class ত আড্ডা মৰাৰ অন্যতম ঠাই এমেনিটী। মূল ঘৰটোৰ সমুখতে যে গছকেইজোপাৰ তলত ঘূৰণীয়া টেবুলকেইখন। কত যে হাঁহি, কত হুঁমুনিয়াহ, কত হেঁপাহৰ সাক্ষী এমেনিটী। পিছে

দিনৰ ভাগত প্ৰফেচৰ সকলো বেছিভাগ ইয়ালৈকে অহাৰ বাবে Essentialৰ উকিবোৰ, খিকিওালিবোৰ ইয়াত শুনা নাযায়। এমেনিটীৰ উপৰিও নিৰিবিলিৰ নীৰৱ বতাহজাক আৰু বিশেষকৈ সেই কাঞ্চনজংঘা হোষ্টেলৰ সমুখৰ পুলটো যেন সন্ধ্যাৰ অতি আপোন হৈ পৰিছিল। পুলটোত বহি কেতিয়াবা আবেলিটো অস্ত যোৱা বেলিটো চায়েই পাৰ কৰি দিয়ে তাই। গোটেই আকাশখনৰ লগতে সমুখৰ ফিল্ডখনো যেন ৰঙীন হৈ পৰে। এৰা, বিদায়ৰ মূহুৰ্তটোও ৰঙীন কৰি যায় বাবেইতো বেলিটোক ভাল লাগে। ক্লাছবোৰৰ লগতে লাহে লাহে তাইৰ বহুতৰে লগত চিনাকিও হৈ উঠিছিল।

পিছে সৰুৰে পৰা অসমীয়া মাধ্যমৰ ছাত্ৰী সন্ধ্যাৰ ক্লাছত কিছু ক্ষেত্ৰত অসুবিধাও নোহোৱা নহয়। গোটেই ক্লাছটো চোন তাইৰ কিবা ভয়ে ভয়ে হে পাৰ হয়। তাৰ মাজতেই এদিন তাই ইমান দিনে অপেক্ষা কৰি থকা ক্লাছটো আহিল। MIL অৰ্থাৎ অসমীয়া। Elective paper হিচাপে সন্ধ্যাহঁতে অসমীয়া নহ'লে alternative english ল'ব লাগে। সন্ধ্যাকে ধৰি তিনিজনী ছোৱালীয়ে অসমীয়া লৈছিল। তেজপুৰ বিশ্ববিদ্যালয়ত দুখজনক ভাৱে অসমীয়াৰ বিভাগ নাই। বিভিন্ন সমস্যাজনিত কাৰণত অহাই নাছিল। তাৰ পৰিৱৰ্তে এটি অসমীয়া অধ্যয়ন কেন্দ্ৰ আছিল। তাতেই সেইদিনাৰ ক্লাছটো কৰোঁ বুলি গ'ল সন্ধ্যা, জ্যোতি আৰু প্ৰীতিষা। তিনিওজনীয়ে অসমীয়া মাধ্যমৰ পৰা অহা বাবে একেই সমস্যাৰ সন্মুখীন হৈছিল ক্লাছবোৰত। আজি যেন সিহঁত ঘৰলৈহে উভতিছে।

"তোমালোক MILৰ Student নেকি বাৰু?"

অসমীয়া অধ্যয়ন কেন্দ্ৰত সোমাওঁতেই বাইদেউ এগৰাকীয়ে সুধিলে। হয় বুলি মূৰ দুপিয়ালে সিহঁতে।

"আহা" বুলি কেবিনলৈ মাতি নিলে তেওঁ। তেখেত আছিল জুপিতৰা মেম। সন্ধ্যাহঁতৰ MIL পেপাৰ খনৰ শিক্ষয়িত্ৰী। হাঁহিমুখীয়া মেমগৰাকীৰ লগত চিনাকি হৈ সন্ধ্যাহঁতৰ সঁচাই বৰ ভাল লাগিল। যেন ইমান দিনে এনেকুৱা এগৰাকী প্ৰৱক্তাৰ বাবেই ৰৈ আছিল সিহঁত। মেমে সিহঁতৰ সমস্যাবোৰ শুনি এইবোৰ যে প্ৰথমতে ইয়াত হয়য়েই আৰু যে লাহে লাহে শেষ হ'ব তাকো ক'লে। এনেতে কেবিনৰ দুৱাৰমুখত কাৰোবাৰ মাত,

:"আহিব পাৰোঁ নে?"

Kaushik

মেমে আহিবলৈ কোৱাত ল'ৰা এটা সোমাই আহিল। মুখ খন চিনাকি, সন্ধ্যাহঁতৰ ক্লাছৰেই। এতিয়াহে সিহঁতে গম পালে, তিনিজনী ছোৱালীৰ লগতে ল'ৰাজনৰো MIL আছে।

:"তোমাৰ নাম?" জুপিতৰা মেমে সুধিলে।

:"ময়ূঁৰ কৃষ্ণ বৰুৱা, ঘৰ নগাঁৱত" চশমা পিন্ধা ল'ৰাজনে উত্তৰ দিলে। এইদৰেই চিনাকি আৰম্ভ হ'ল সিহঁত চাৰিওটাৰ। কম সময়ৰ ভিতৰতে ঘৰৰ মানুহৰ দৰেই হৈ পৰিল গোটেই কেইটা। মৰমিয়াল মেমগৰাকী পাই সন্ধ্যাহঁতেও যেন এক সকাহ পাইছিল। এসময়ত কিবা অসুবিধা পালে ক'বা বুলি কৈ সিহঁতক বিদায় দিলে মেমে। পাঠ্যক্ৰম পিছৰ ক্লাছৰ পৰা আৰম্ভ কৰিব।

চাৰিওটা হাঁহি মুখেৰে ওলাল।

দৈনিক ক্লাছ কৰাৰ উপৰিও লাইব্ৰেৰীত এপাক মৰাটো যেন তাইৰ অভ্যাসত পৰিণত হৈছিল। লাইব্ৰেৰীৰ সমুখৰ ফুলৰ বাগিছাখনে যেন হাত বাউলিহে মাতে তাইক। লাইব্ৰেৰীত সোমোৱাৰ আগত গছবোৰৰ কাষলৈ গৈ ফুলবোৰ চুই শুঙি শুঙি চাই সন্ধ্যাই। কেতিয়াবা আকৌ দুই এপাহি সৰাফুল। সিদিনাও সৰি থকা দালিয়া এপাহ বুটলি লৈছিল তাই। প্ৰিয়াই চিঞৰিছিল,

:"আহিছানে তুমি ফুলেশ্বৰী?"

হাঁহি হাঁহি যাবলৈ লওঁতেই সন্ধ্যাৰ চকুত পৰিল লাইব্ৰেৰীৰ চাইকেল ষ্টেণ্ডটোৰ কাষতে তলসৰা বকুল বুটলি আছে ছোৱালী এজনীয়ে। এবাৰত ফুলখিনি শুঙিও চাইছে, সন্ধ্যাৰ এনে লাগিল যেন নিজকেই দেখিছে তাই। এই যান্ত্ৰিক মানুহবোৰৰ মাজত তেন্তে তাইৰ দৰে ফুল ভাল পোৱা মানুহো আছে। নিজে আগবাঢ়ি গ'ল তাই।

:"সৰাফুল ভাল পোৱা?" সুধি পেলালে সন্ধ্যাই।

:"বহুত বেছি, তুমিও?" ঘূৰি চাই উত্তৰ দিলে ওখকৈ মেলা চুলিৰ ছোৱালীজনীয়ে। সন্ধ্যাতকৈ ডাঙৰ হ'ব চাগে। মূৰ দুপিয়াই উত্তৰ দিলে তাই।

:"ফাৰ্ষ্ট ইয়েৰৰ হ'বা চাগে? কি নাম?" বৰ মৰম লগা বা জনীৰ মাতটো।

:"সন্ধ্যা ৰাগিনী বৰুৱা। Integrated MA 1st sem. EFL ৰ।"

:"বৰ ধুনীয়া নাম। অসমীয়া মাধ্যমৰ নেকি তুমি?" বায়ে সুধিলে।

Kaushik

আচৰিত হৈছিল সন্ধ্যা। দুটা কথাত। প্ৰথমটো হ'ল তাই যে সঁচাকৈ অসমীয়া মাধ্যমৰ, বাজনীয়ে কেনেকৈ জানিলে? দ্বিতীয়তে, যিখন ঠাইত কথাৰ মাজত "so", "thats why" আদি নলগোৱাকৈ কথা শুনাই নাযায় তাত "আচামিজ মিডিয়াম"ৰ ঠাইত অসমীয়া মাধ্যম?

:"হয়, তুমি কেনেকৈ জানিলা?"

:"সন্ধ্যাটো চন্ধ্যা বুলি কোৱা নাই যে।"

বাজনীৰ উত্তৰ শুনি হাঁহি ৰখাব নোৱাৰিলে তাই। দুয়োজনীয়ে হাঁহি উঠিল। উঁঠৰ তলতে তিলটো জিলিকি থকা বা জনীৰ হাঁহিটো বৰ ধুনীয়া। লাইব্ৰেৰীৰ ফালে খোজ ল'লে দুইজনীয়ে। বেচেৰী প্ৰিয়া চাগে বৈ বৈ আমনি পাইছে।

:"পিছে মইও EFLৰেই হয় দেই। তোমাৰ ছিনিয়ৰ হ'ম।" বায়ে ক'লে।

:"অহ্, তোমাৰ নামটো?"

:"চন্দ্ৰালী শৰ্মা, আকৌ লগ পাম দেই সন্ধ্যা। আহোঁ এতিয়া। প্ৰথম লগ পোৱাৰ উপহাৰ বুলি এইয়া বকুল দুপাহকে লোৱা" আঁতৰি গ'ল বাজনী।

কিয় জানো মনটো ভৰি গ'ল সন্ধ্যাৰ। মনৰ মিল থকা মানুহবোৰক এইদৰে লগ পালে এনেই মনটো ভাল লাগে। বায়ে দি যোৱা বকুল দুপাহি লৈ লাইব্ৰেৰীলৈ সোমাই গ'ল সন্ধ্যা।

লাইব্ৰেৰীত assamese sectionৰ উপন্যাস বোৰৰ মাজত সন্ধ্যাই যেন বিচাৰি পাইছিল এখন অন্য পৃথিৱী। মৰম ভালপোৱাৰ এটি সৰু কল্পনাৰ পৰিধিৰ মাজত তাই বান্ধি ৰাখিব খোজে নিজক। লাইব্ৰেৰীৰ লগতে সন্ধিয়াৰ সময় খিনিত সীমা, মনীষা, প্ৰিয়া, জুৰিহঁতৰ লগত ইউনিভাৰ্চিটি campusত এপাক খোজ কঢ়া টো সন্ধ্যাৰ বাবে যেন অলিখিত নিয়ম। বৰ ভাল লাগে তাইৰ এই সময় খিনি। দিনটোৰ ব্যস্ততাৰ অন্তত সকলো যেন ওলাই আহে সেউজীয়া বোৰৰ মাজত অলপ প্ৰশান্তি বিচাৰি। প্ৰাণ চঞ্চলা হাঁহিৰ কোলাহলে সময় খিনিক যেন অধিক জীৱন্ত কৰি তোলে। কিন্তু জুনিয়ৰ হিচাপে সন্ধ্যাহঁতৰ বাবে পদে পদে নিয়ম। গতিকে ৭.৩০ বজাৰ আগতেই হোষ্টেলত সোমাবগৈ লাগে। অৱশ্যে এই নিয়ম general freshers লৈকে হে।

সেইদিনাও সীমাহঁতৰ লগত সন্ধ্যা খোজ কাঢ়ি আছিল। নিৰিবিলিৰ ফালৰ পৰা এপাক মাৰি আহি সিহঁত essential পাইছিলহি। সীমা আৰু জুৰিহঁতৰ প্ৰাগজ্যোতিকা হোষ্টেলটো

Kaushik

সন্ধ্যাহঁতৰ হোষ্টেলৰ ঠিক বিপৰীত দিশত বাবে essential তেই ৰৈ সিহঁতে কথাৰ মহলা মাৰিবলৈ লৈছিল। তেনেকুৱাতে হঠাৎ মনীষাই চিঞৰি উঠিল,

"HEi, অভিমন্যু, ক'ত যোৱা?"

সন্ধ্যাই তেতিয়াহে মন কৰিলে অভিমন্যুৰ লগতে সিহঁতৰ ক্লাছৰ চাৰিটা মান ল'ৰা সেইফালেৰেই গৈ আছিল। এইজনীও যে, কেলৈ নো মাতিব লাগে সেইকেটাক। মনতে ভাবিলে সন্ধ্যাই। সিহঁত আটাইকেইটা আগবাঢ়ি আহি সন্ধ্যাহঁতৰ লগত যোগ দিলেহি।

"ক'ত যাবা আৰু এনেই ফুৰি আছোঁ, পিছে তোমালোক কিবা হোৱাইট নাৰ কিনিব আহিছা নেকি?"

অভিমন্যুয়ে তাৰ বিখ্যাত দুষ্টালিৰ হাঁহিটো মাৰি সুধিলে। কথাটো সীমালৈ চাই কৈছিল যদিও কাক উদ্দেশ্যি কৈছে জানিবলৈ বাকী নাছিল কাৰোৰে। সেয়ে উত্তৰ টো সন্ধ্যায়েই দিলে,

"আহিয়েই আৰম্ভ আৰু ন?"

"হাৰে, মই টো সীমাক সুধিছো, কিছুমান আকৌ এনেই লাগে কিয় বাৰু?"

"অঃ প্লিজ আৰু হা, ইমান বুৰ্বক কোনো নাই ইয়াত।"

"কিয়, তুমি আছাই চোন।"

আটাইকেইটাৰ মাজত হাঁহিৰ জোৱাৰ উঠিল।

"তোমাক যে মই কেতিয়াবা...."

সন্ধ্যাৰ কথা শেষ নোহোঁতেই সীমাই কৈ উঠিল,

"হ'ব হ'ব, তোমালোকৰ কাজিয়া আজিলৈ ইয়াতে শেষ কৰা। by the way আমিতো ভাল কৈ চিনাকীয়েই হোৱা নাই।"

"তাকেই তো, মই আৰিফ দেই, দি দিছোঁ চিনাকি।" গুৱাহাটীৰ আৰিফে কৈ উঠিল। ক্লাছত active লৰাটোক সন্ধ্যাই অৱশ্যে চিনি পাইছিল, মাত্ৰ মাত বোল হে হোৱা নাছিল।

"মই অনুৰণ, ডিব্ৰুগড়ৰ।"

Kaushik

সন্ধ্যা যেন এই মাত টোলৈ হে ৰৈ আছিল। কথা বতৰাৰে সময়খিনি ধুনীয়াকৈ পাৰ হৈছিল। কম সময়তে চিনাকী হৈ উঠিল গোটেই কেইটা। অনুৰণ আৰু অভিমন্যু পাটকাই হোষ্টেলৰ। সন্ধ্যাই শুনিছে ইউনিভাৰ্চিটীৰ সকলোতকৈ ডাঙৰ হোষ্টেল হেনো সেইটো। নতুন হোৱাৰ বাবে দেখিবলৈও বৰ ধুনীয়া। অভিমন্যুয়ে তাৰ বিখ্যাত কায়দাৰে মাজে মাজে সন্ধ্যাক জোকাবলৈ নেৰিলে। সি আচলতে সন্ধ্যাহঁতৰ লগত একে programmeৰ নহয়। ডিপাৰ্টমেন্ট একে হ'লেও সি integrated BA BEdৰ হে। অৰ্থাৎ তাৰ চাৰি বছৰীয়া কৰ্চ। কিন্তু Integrated MA হোৱাৰ বাবে সন্ধ্যাহঁতৰ পাঁচ বছৰ।

:"চাৰি বছৰহে থাকিম বুইছা মিছ বৰুৱা, মিচ কৰিবা নাই মোক লাষ্ট ইয়েৰত।"

:"গৰজহে পৰিছে।" মুখৰ ভিতৰতে উত্তৰটো দিলেও অভিমন্যুয়ে ঠিকেই শুনিলে।

:"বাৰু দেখা যাব। চাবা চোন, মোৰ Farewellত তুমিয়েই বেছি কান্দিবা।"

:"ৱাহ্। ইমান confidence আনা ক'ৰ পৰা তুমি।" সন্ধ্যাই সুধিলে।

:"সমুখত ইমান ধুনীয়া ছোৱালী থাকিলে confidence নিজে নিজেই আহে।" আকৌ তাৰ চকুত হাঁহি। লগৰ গোটেই খিনিৰ চিঞৰিত মুখৰিত হৈছিল Essential. খং উঠাছিল সন্ধ্যাৰ। flirtingৰো এটা লিমিট থাকে মানে। ই যে চবতেই over. ইতিমধ্যে ৭.১৫ হৈছিল বাবে সন্ধ্যাহঁত যাবলৈ সাজু হ'ল। কিয় জানো যোৱাৰ আগত কোনেও নুশুনাকৈ সন্ধ্যাই এবাৰ অনুৰণক আকৌ সুধিলে,

"তোমাৰ নামটো কি কৈছিলা"

"অনুৰণ, ৰণ বুলিও মাতিব পাৰা" এটি মিচিকিয়া হাঁহিৰে শান্ত উত্তৰ। বাপ ৰে, ল'ৰাৰ ইমান লাজ এয়াই প্ৰথম দেখিছোঁ। মনতে ভাবিলে সন্ধ্যাই। সিহঁত যোৱাৰ পাছত কিবা অলপ ভাল লগা লৈ সোৱণশিৰী লৈ আগবাঢ়িল সন্ধ্যা।

Essentialত বাজি আছিল "আবেগে উপচা" গীতটিৰ প্ৰথম কলিটো,

"নতুন ফাগুন মোৰ নামি আহা,

দুচকুতে নামি চুমা দিয়া"

(আগলৈ)

#নিৰিবিলি

Kaushik

Part 6

দিনবোৰ গৈ থাকিল। লগে লগেই আটাইকেইখন হোষ্টেল সাজু হৈছিল ফ্ৰেচাৰ্চৰ বাবে। তেজপুৰ ইউনিভাৰ্ছিটিত মুঠ তিনিটা কৈ ফ্ৰেচাৰ্ছ হয়। প্ৰথম ডিপাৰ্টমেট ফ্ৰেচাৰ্ছ, যিটো ice breaking বুলিও কোৱা হয়। দ্বিতীয়তে হোষ্টেল ফ্ৰেচাৰ্ছ। আৰু শেষত কমিউনিটি হলত এটা জেনেৰেল ফ্ৰেচাৰ্ছ সকলোৰে বাবে। সন্ধ্যাহঁতৰ ডিপাৰ্টমেন্টতো সেইদিনা ফ্ৰেচাৰ্ছ হৈ গ'ল। আগবাঢ়ি গৈ introduction দিয়াৰ বাদে সন্ধ্যাই বিশেষ একো ভাগ লোৱা নাছিল। জুৰিহঁতে অৱশ্যে বিহু নাচিছিল। সন্ধ্যাকো কৈছিল যদিও তাই বিশেষ মন নকৰিলে। কিয় জানো ডিপাৰ্টমেন্ট টোত এতিয়াও ভয় ভয় এটা লাগি থাকে তাইৰ। কিন্তু হোষ্টেলত সম্পূৰ্ণ উল্টা। ৰুমমেট বিদিশা হোষ্টেল এডমিন বডিত থকা বাবে সোৱণশিৰিৰ ভিতৰ চ'ৰা লৈকে অবাধ গতি সন্ধ্যাৰ।

হোষ্টেল ফ্ৰেচাৰ্ছৰ লগত সংগতি ৰাখি আয়োজন কৰা হৈছিল বিভিন্ন প্ৰতিযোগিতাৰ। তাৰ ভিতৰত wing ডেক'ৰেচন অন্যতম। হোষ্টেল বোৰত ছয় সাতটাকৈ ৰুম লাগি একোটাকৈ wing হয়। কাৰ wing টো কিমান সজাই পৰাই ৰখা হৈছে সেইটো লৈয়ে প্ৰতিযোগিতা থন। ইয়াকে লৈ যোৱা কেইদিন ধৰি সন্ধ্যাহঁতৰো গাত তত নাই। কোনোবাই যদি ৰং বিৰং কাগজৰে wing বোৰ ভৰাইছে, কোনোবাই আকৌ ম'ৰাৰ পাখিৰেই কোঠাবোৰ সজাইছে। মুঠতে কোনো ৰৈ থকা নাই।

আজি হোষ্টেলত ফ্ৰেচাৰ্ছ। কোনে পাই। ন কইনাৰ দৰে সজাইছে সোৱণশিৰীক। ক্লাছৰ পৰা আহিয়েই গোটেইখন বিয়াঘৰৰ দৰে যেন দেখিছে সন্ধ্যাই। সকলো ব্যস্ত। টাকুৰি ঘূৰাৰ দৰে ঘূৰি আছে প্ৰিফেক্ট দীপা বা, ৰীণা বাহঁত। আগফাল গোটেইখন লাইট লগোৱা মানুহে ৰে ভৰি আছে। খুব সুন্দৰকৈ তিনি মহলীয়া হোষ্টেলটোত ওলোমাই দিছে ৰঙা নীলা লাইট বোৰ। ক্লাছৰ পৰা আহি পোৱাৰ পিছত তাইৰ মূৰতো পৰিল এশ এবুৰি দায়িত্ব।

:" সন্ধ্যা, ল'ৰা এটা ই প্লাষ্টিকৰ ফুল লৈ আহিব, তোমাৰ তাতে ৰাখি থবাচোন । মই আহি সজোৱা মানুহ বোৰক দিম"

দৌৰা দৌৰি কৈ ওলাই যোৱা ৰীমা বাক দেখি সন্ধ্যাই বিদিশাক সুধিলে,

:" ৰীমা বা ইমান লৰা লৰি কৈ কলৈ যাই নো"।

:" বিউটি পাৰ্লাৰ চাগে। বিদিশাই হাঁহি মাৰি ক'লে।

Kaushik

আচৰিত হৈছিল সন্ধ্যা। ফ্ৰেচাৰ্ছক লৈয়ে ইমান সাজোন কাচোন। সকলোবোৰেইচোন ঘৰৰ মানুহেই। পিছে ৰূপা বাই গেষ্ট লিষ্ট খন বিদিশাক খোজোতেহে সন্ধ্যাৰ ভুল ভাঙিল। সোৱণশিৰিৰ উপৰিও অন্য হোষ্টেল সমূহৰ পৰা আন আন ল'ৰা ছোৱালীও ফ্ৰেচাৰ্ছলৈ আহিব। যেন সঁচা অৰ্থত এখনি সম্পূৰ্ণ বিয়া ঘৰ। কোনে কয় হোষ্টেল ঘৰৰ পৰা বেলেগ বুলি। এয়াতো এখনি হেঁপাহৰ ঘৰ।

এন্ধাৰ হোৱাৰ লগে লগেই ৰঙা নীলা লাইটেৰে জিলিকি উঠিল সোৱণশিৰি। লাইট নহয় যেন হোষ্টেলৰ ছোৱালী বোৰ মনৰ হেঁপাৰ বোৰহে জিলিকিছে। লাহে লাহে এজন এজনকৈ মানুহ আহিব ধৰিলে। সোৱণশিৰি কমন ৰূম তে অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। বিদিশাই কৰি দিয়া পছন্দ মতে ৰঙা ৰঙৰ চুৰিদাৰ যোৰ পিন্ধিছিল সন্ধ্যাই।

:" আই ঐ, আজি সোণ সোৱণশিৰিত কৃষ্ণচূড়া ফুলিছে।" দীপা বাই যাওঁতে চিঞৰি জোকাই থৈ গল সন্ধ্যাক। ফ্ৰেচাৰ্ছত জুনিয়ৰৰ বিশেষ কামৰ দায়িত্ব নাথাকে যদিও সকলোৰে চিনাকি হোৱাৰ বাবে হয়তো সন্ধ্যাৰ ওচৰত বিভিন্ন কামৰ দায়িত্ব আহি পৰিছিল। ঘৰত কৰাৰ দৰেই বিনা দ্বিধাই কৰিছিল তাই। অলপ পাছতে হোষ্টেলৰ ৱাৰ্ডেন মেম সকলো পালেহি। সন্ধ্যাই দেখিলে, কালি লগ পোৱা জুপিতৰা মেমো সিহঁতৰ assistant ৱাৰ্ডেন। আগবাঢ়ি গৈ মেমক মাতিলে তাই।

"অহ্, তুমিও ইয়াৰে নেকি? মোৰ ছোৱালীয়েই হ'লা আৰু তুমি। বৰ ধুনীয়া লাগিছে দেই সন্ধ্যা" মূৰত হাত ফুৰাই ক'লে মেমে। মনটো কিবা সতেজ লাগি গ'ল সন্ধ্যাৰ। সঁচাকৈ, কিছুমান মানুহে কিদৰে এনেকৈ মৰম কঢ়িয়াই ফুৰে বাৰু।

এতিয়া লৈকে অহা গেষ্ট খিনিৰ মাজত কফি বিলাই থাকোঁতে হঠাৎ সন্ধ্যা ই চিনাকি মাত এটা শুনিলে:" ঐ ৰুণ"

সন্ধ্যা ৰ ঘৰত মতা নাম ৰুণজুন। কিন্তু এইটো নামেৰে ইয়াত তাইক কোনে মাতিলে। দুৱাৰৰ মুখলৈ ঘূৰি চাই ফুৰ্তিত চিঞৰি উঠিল সন্ধা।

:" ধন দা তই"

পৰিবেশ পাহৰি ল'ৰা জনক সাৱটি ধৰিলে তাই

সিদ্ধাৰ্থ গোস্বামী। তেজপুৰ ইউনিভাৰ্চিটীৰ এটা জনপ্ৰিয় নাম। সংস্কৃতি অধ্যয়ন বিভাগৰ গৱেষক ছাত্ৰ সিদ্ধাৰ্থ সন্ধাৰ মোমায়েকৰ ল'ৰা। সম্বন্ধত ককায়েক। নাটককে

kaushik

আদি কৰি ইউনিভাৰ্ছিটিৰ বিভিন্ন কাম কাজৰ লগত জড়িত হোৱাৰ বাবে সিদ্ধাৰ্থক চিনি নোপোৱা মানুহ খুব কমেইহে আছে।

:" ইমান দিনে মোৰ খবৰ এটাও কৰা নাই"

ঘৰৰ মানুহক লগ পাই সন্ধ্যা যেন আকৌ ঘৰৰ সৰু ছোৱালী জনী হৈ পৰিল।

:"নহয় অ'। ৰিচাৰ্চ ৰ কামৰ ব্যস্ত হৈ আছিলোঁ। তথাপি তোৰ খবৰ যিমান পাৰোঁ লৈছোঁ। ৰহ তোক ল'ৰা এজনৰ লগত চিনাকি কৰাই দিওঁ তহঁতৰ ক্লাছৰে।"

সন্ধ্যাই কাষলৈ চাই দেখে চকুত দুষ্টলিৰ হাঁহি লৈ সন্মুখত থিয় হৈছেহি অভিমন্যু।

:"হ'ব। চিনাকি হবলৈ বাকী নাই"। খঙেৰে কৈ উঠিল সন্ধ্যাই।"

:"হেই সিদ্ধাৰ্থ দা। I am disappointed দেই। নতুন কাৰোবাৰ লগত চিনাকি হ ম বুলি ইমান সাজি কাঁচি আহিলো, আপোনাৰ ভনীয়েক এওঁ হে। কৈ দিওক ভনীয়েকক I am not interested" ইয়াতো সন্ধ্যাক নেৰিলে সি।

:"কোনে জানো মাতে এই অভদ্ৰ চবক" বুলি উচাৎ মাৰি ওলাই আহিল সন্ধ্যা।

ওলাই আহি বাহিৰতে দীপা বাক পাই কৈয়ে দিলে,

:"ফাৰ্ষ্ট ইয়েৰৰ বোৰক নো কিয় allow কৰিব লাগে?"

:"এজন হে আহিছে। তাকো সিদ্ধাৰ্থ দাৰ লগত। আৰু তেওঁকনো মানা কৰোঁ কেনেকৈ।" লাজ লাজ কৈ কথা কেইটা কৈ আঁতৰি গল দীপা বা। সন্ধ্যাৰ পিছে পিছে সিদ্ধাৰ্থ বাহিৰ পালেহি।

:"কি হল টোৰ এনেকৈ গুচি আহিলি যে"

:"এইডাল মস্ত অভদ্ৰ। প্ৰথম দিনাৰ পৰাই কামুৰি আছে মোক। চিনাকি কৰাবলৈ আৰু বেলেগ মানুহ নেপালি।"

জোৰকৈ হাঁহি উঠিল সিদ্ধাৰ্থই।

:"তাৰ মানে অভিয়ে কোৱা সেই সৰু ছোৱালীজনী তইয়েই।"

Kaushik

সিদ্ধাৰ্থৰ কথাত আচৰিত হ'ল তাই। তাক হেনো অভিমন্যুয়ে কৈছিল তাইৰ কথা, এজনী খুব মৰমলগা ছোৱালী আহিছে সিঁহতৰ ক্লাছত। একেবাৰে সৰু ছোৱালীৰ দৰে। সেইবাবে জোকাই ভাল লাগে।

:"সি ল'ৰা টো তেনেকুৱাই। কিন্তু আচলতে ভাল। খুব ধুনীয়া নাটকো কৰে। মই আগৰ পৰাই চিনি পাওঁ।"

হুঁহ বুলি আঁতৰি গ'ল যদিও মনতে ভাবিলে তাই, এইটোৱে তাৰমানে ভালকৈয়ো কয় তাইৰ কথা। ক'ব নোৱাৰাকৈ হাঁহি এটাও সৰিছিল সন্ধ্যাৰ মুখৰ পৰা।

লাহে লাহে অনুষ্ঠান আৰম্ভ হল। বিদিশা বাইঁতে জোৰ কৰাত এপাক বিহু নাচিলে সন্ধ্যাই। অনুষ্ঠান চলি থকা মাজতে সিদ্ধাৰ্থই সন্ধ্যাক কাষলৈ মাতি আনিলে,

:"সৌ ছোৱালী জনীয়ে কফি পোৱা নাই, যা দি আহ।"

:"ইমান বোৰ ছোৱালী থাকোঁতে টোৰ চকু সেইজনীক যে!" দুষ্টলি হাহিৰে খিলখিলকৈ সিদ্ধাৰ্থক জোকালে সন্ধ্যাই।

:"ছিঃ ছিঃ। দাদাই সোৱণশিৰীৰ বদনাম নহওঁক বুলি কিবা এটা কৈছে, এওঁ আকৌ প্ৰত্যেকটো কথাতে বেয়া মিনিং।" অভিমন্যুৰ টপকৈ উত্তৰ।

খঙত আকৌ আঁতৰি আহিল সন্ধ্যা । হাতত কফি একাপ লৈ সন্মুখৰ বেয়া হৈ থকা ৰঙীন কাগজ কেইখন ঠিক কৰি থকা বাজনীৰ ওচৰৰ পালেগৈ।

:"এইয়া লোৱা কফি"

:" Thank you।" হাঁহি মুখেৰে উত্তৰ দিলে ছোৱালী জনীয়ে। তাইৰ নাম শিখা। ধনশিৰি হোষ্টেলৰ। education ত masters। সন্ধ্যাৰ জানি ভাল লাগিল তাইও বিশ্বনাথ চাৰিআলিৰে হয়।

লাহে লাহে অনুষ্ঠান শেষ হ'ল। সন্ধ্যাৰহঁতৰ wing টোৱেই জিকিল প্ৰতিযোগিতাত। সন্ধ্যা হোষ্টেলত আৰু জনপ্ৰিয় হ'ল। যোৱাৰ সময়ত এবাৰত সন্ধ্যাক অকলে পাই অভিমন্যুয়ে ফুচফুচাই ক'লে,

:"মিছ বৰুৱা, অলপ বেছিয়েই ধুনীয়া কিন্তু তুমি।"

"ধেৎ" বুলি আঁতৰি আহিলেও মনটো ক'ৰবাত ভাল লাগিল তাইৰ। বৰ নিলাজ দেই এই ল'ৰাটো।

Kaushik

দুদিন পাছত general freshersh। পিছদিনা বনজুইৰ দৰে বিয়পিছিল খবৰটো। আজি ২৯ জুলাই। মানে মাজত মাত্ৰ দুদিন। হোষ্টেলৰ ছোৱালীবোৰে ভোৰভোৰাবলৈ লৈছিল, এইবোৰ কাৰণতে ভাল নালাগে। অলপ টো time দিয়ক। আমাৰো টো মন যায় freshersh বুলি অলপ ভাল কে কিবা prepare কৰিবলে।

"ইয়াত চব দৌৰা দৌৰিয়েই। নহ'লে ছটাকৈ পৰীক্ষা পাতিবলৈ সময়েই নিমিলিব।" roommate বিদিশাই কৈ কৈ বুজাই আছিল সন্ধ্যাৰ আগত। হঠাৎ ছিনিয়ৰ ৰূপা বা সোমাই আহিল।

"বিদিশা, তোৰ roommate য়ে গান গাই কৈছিলি নহয়, তাই গান গাব freshersh ত। সন্ধ্যা, prepare হোৱা।" কথাখিনি কৈ হুৰমুৰকৈ ওলাই গ'ল ৰূপা বা। ৰূপা বা cultural secretary হ'বলা।

"কিন্তু মই তেনেকে ষ্টেজ প্ৰগ্ৰেম ইমান কৰা নাই বিদিশা বা।" অসহায় হৈ ক'লে সন্ধ্যাই।

"একো নহয় অ'। পাৰিবা তুমি। দুদিন আছে ভাল কে practice কৰা।" উপায় নাপাই সন্ধ্যাই গান গোৱাৰে সিদ্ধান্ত ল'লে।

"তই গান গাবি নি? চাবি দেই মানুহ নপলাই যাতে।" পিছদিনা dept ত off period ৰ আড্ডাত অভিমন্যুয়ে জোকাবলৈ আৰম্ভ কৰিলে তাইক। তাৰ লগত সন্ধ্যাৰ সম্পৰ্ক টো ইতিমধ্যে তুমিৰ পৰা তই লৈ সলনি হৈছিল। তাইৰ মতে ইমান অভদ্ৰ এটাক তুমি বুলি মাতিবলৈ মনেই নাযায় তাইৰ। বাকী যিয়েই নহওঁক সিহঁতৰ এই চুপতিবোৰ বাকী কেইটাই যে খুব enjoy কৰে সন্ধ্যাইও বুজি পাই। অৱশ্যে গোটেই কেইটাই নহয় চাগে !!

"অ গাম। তোৰ শুনিবলে মন নাই যদি নাহিবি। হ'লতো?" চেলাউৰি কোচাই উত্তৰ দিলে সন্ধ্যাই। কাজিয়া খন হয়তো দীঘলীয়াই হ'লহেঁতেন। তেনেকুৱাতে শৰ্মা ছাৰ আহি ওলোৱাত যেনিবা তাতেই ৰ'ল।

ফ্ৰেচাৰ্চৰ দিনা ৰাতিপুৱাৰ পৰা অলপ ভয় ভয় লাগি আছিল সন্ধ্যাৰ। তাতে class ত এই অভদ্ৰটোৱে "কিবা বিলাহী চিলাহী নিব লাগিব নেকি ক" বুলি আৰু তাইৰ মূৰটো গৰম কৰি আছিল।

Kaushik

৬ টা বজাৰ পৰা freshers ৰ cultural programme আৰম্ভ হোৱাৰ কথা। সিহঁত আটাইকেইটা গৈ community hall ত বহিছিলগৈ। বিহুৰ পৰা freshesh লৈকে এনে program বোৰ ইয়াতে হয়। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা auditorium ৰ কঠোৰ নিয়মবোৰ ইয়াত প্ৰচলন নহয় বাবে studentsবোৰৰ বাবে community hall টো বেছি প্ৰিয়। কত যে চিঞৰ, কত হাত চাপৰিৰ নীৰৱ সাক্ষী চাগে এই হলটো। প্ৰিয়াহঁতৰ hostel ৰে প্ৰেৰণাই anchoring কৰিছিল। প্ৰথমেই এটি গানেৰে আৰম্ভ হৈছিল অনুষ্ঠান। সন্ধ্যাৰ চকুৱে বিশেষ কাৰোবাক বিচাৰি থকাটো প্ৰিয়াই যেন ধৰিব পাৰিছিল।

"লাভ নাই, তেখেত নাহে চাগে। এতিয়ালৈকে নাই যে যেতিয়া।" এই প্ৰিয়া জনীও যে, দুদিনতে খুৱ বুজি পোৱা হৈছে তাইক। কৃত্ৰিম খং দেখুৱাই সন্ধ্যাই কৈ উঠিল,

"আমি কাৰোালে ৰৈও থকা নাই।"

আৰু এটা dance প্ৰগ্ৰামৰ পাছতেই সন্ধ্যাৰ গান। ইউনিভাৰ্চিটিত প্ৰথম প্ৰগ্ৰেম বাবে তাই এই সময় খিনি ধৰি ৰাখিব খোজে মোবাইলৰ কেমেৰাত। সেইবাবে প্ৰিয়াক লগ ধৰিলে, "ঐ, বল না। অলপ আগৰ পৰা মোৰ mobile তে recording টো কৰি দিবি।"

"যাহ, নোৱাৰোঁ দেই তাত অকলে থিয় হৈ record কৰিব গৈ, অভিমন্যুক ক।" একেচাতেই নাযাওঁ ক'লে প্ৰিয়াই। এইজনীও যে, বৰ লাজ তাইৰ। উপায়ন্তৰ হৈ তাই অভিমন্যু কে কুটুৰিলে, "অভি, ব'ল না প্লিজ।"

"এটা চৰ্তত যাব পাৰোঁ।" তাৰ চকুত সেই দুষ্টালিৰ চাৱনি।

"কি চৰ্ত ক?"

"Anchoring কৰি থকা ছোৱালীজনীৰ লগত মোক চিনাকি কৰাই দিবি?"

কেনেকুৱা অসভ্য বাৰু ই। বেলেগ সময়ত হোৱা হ'লে বৰ ভাল কৈয়ে জাৰিলে হয় ইয়াক। কিন্তু এতিয়া জোকাই ল'লে নিজৰে ক্ষতি।

"হ'ব দে, দিম। ব'ল এতিয়া। প্ৰিয়া, জুৰিহঁতক তাতে এৰি সন্ধ্যা আৰু অভিমন্যু আগুৱাই গৈ আছিল। হঠাৎ অভিমন্যুৰ ফোন টো বাজি উঠিল।

"ঐ কোৱা.... নাই নাই আৰু এটা প্ৰগ্ৰামৰ পাছতেই হ'ব আৰু.... ও, প্ৰিয়াহঁত পাছত আছে, মই এইৰ লগত আগলৈ আহিছোঁ ৰেকৰ্ড কৰি দিব লাগে বোলে..... ok ok আহা।" ফোনটো কাটি থ'লে সি। ইতিমধ্যে সিহঁত আগ পাইছিল গৈ। sound box টোৰ

Kaushik

ওচৰতে অভিমন্যুক এৰি গ্ৰীণ ৰুমলৈ সোমাই গৈছিল সন্ধ্যা। অলপ পাছতে প্ৰগ্ৰেম থকাৰ পাছতো তাইৰ মনত এটা প্ৰশ্নই দোলা দি আছিল। অভিলে ফোনটো কোনে কৰিছিল বাৰু।

(আগলৈ)

#নিৰিবিলি

Part 7

গ্ৰীণ ৰুমত বহি আছিল সন্ধ্যা। ষ্টেজত জুৰিহঁতৰ বিহু নাচ। ইয়াৰ পাছতেই তাইৰ পাল। জুৰিয়ে সঁচাই বৰ ধুনীয়াকৈ বিহু নাচে। স্কুল আৰু কলেজত সন্ধ্যাইও বিহু ননচা নহয়। সৰুতেই ক'ৰবাত মৌকুঁৱৰীও হৈছিল। পিছে লাহে লাহে বাদ দিলে। কিন্তু এতিয়াও ঢোলৰ মাতটো শুনিলে গাটো কঁপি আহে তাইৰ। এবাৰ চাৰিওফালে মন কৰিলে। কোনোবাই ভাৰত নাট্যমৰ সাজ পিন্ধি ৰৈ আছে, কোনোবাই বেলেগ কিবা। সকলোৰে আশা, নিজৰ প্ৰতিভাবোৰ তুলি ধৰিব। সন্ধ্যাই ভাবে, আমাৰ চাৰিওফালেই কিমান যে প্ৰতিভা আছে। কিন্তু সকলোৱেই স্বীকৃতি পাই জানো? নাপায়। কিছুমান প্ৰতিভা স্বীকৃতিৰ বাবে নহয়, জীৱনটোত জীয়াই থাকিবলৈও প্ৰয়োজনীয় হয়। মাজে মাজে অলপ ভয়ো লাগিছে তাইৰ। চাৰিওফালে ইমান মানুহ, তেও তাই অকলশৰীয়া। কাৰণ চিনিয়েই নাপাই কাকো। সঁচাই, ভিৰৰ মাজত অকলশৰীয়া হোৱাটো আৰু বেছি ভয় লগা। এই অভিটোক লৈয়েই আনিব লাগিছিল ইয়ালৈকে। অলপ হঁহুৱায়েই থাকিলে হয়। এৰা, সি হঁহুৱাব পাৰে তাইক। খং উঠে যদিও তাই লাহে লাহে বুজি পোৱা হৈছে তাক। অভিৰ কথা মনলে আহোঁতেই তাইৰ আকৌ ফোন কলটোলৈ মনত পৰিল। কোন আছিল বাৰু? কেনেবাকৈ... এহ্, নাই। সি কেনেকৈ হ'ব। হ'বওতো পাৰে। নহয় চাগে।

:"ঐ, অল দা বেষ্ট দেই।" কথাবোৰ ভাবি থাকোঁতেই কোনোবাই মাতিলে। ঘূৰি চাই দেখে সোৱণশিৰীৰ ফ্ৰেচাৰ্ছত লগ পোৱা শিখা বা।

:"থেংক ইউ বা। বৰ ভয় ভয় লাগিছে জানা নে ইয়াত অকলে।" থিয় হৈ ক'লে সন্ধ্যাই।

:"হেই, ভয় কিহৰ আকৌ। মই জানো খুব ধুনীয়া হ'ব চাবা তোমাৰ গান।" সন্ধ্যাৰ হাতখন নিজৰ হাতলৈ আনি ক'লে শিখাই, "মই আছোঁ বাৰু দিয়া লগতে"।

Kaushik

ভাল লাগিল সন্ধ্যাৰ। এনেকুৱা সময়ত সঁচাই কাৰোবাক লাগে। শিখা বাৰ উপস্থিতিয়ে সাহস দিলে সন্ধ্যাক।

"So, I would now like to call on the stage miss Sandhya ragini baruah. Please welcome her with a round of applause."

প্ৰেৰণাৰ anouncementৰ পাছতেই মঞ্চলৈ উঠি গ'ল সন্ধ্যা। কমিউনিটী হলৰ ষ্টেজটোও বৰ ধুনীয়াকৈ সজাইছে। বেলুনবোৰ, ৰঙা নীলা লাইটবোৰ সকলোৱেই যেন তাইলৈকে চাই হাঁহিছে। সমুখত এজাউৰি হাত চাপৰি। অসংখ্য চিঞৰ। তাই কঁপিছে নেকি বাৰু? হয়তো হয়। হয়তো নহয়। এবাৰ চকু কেইটা মুদি ল'লে তাই। মনলৈ মাকৰ মুখখন ভাঁহি উঠিল। চকু মেলি প্ৰথমে হ্ৰস্ব সুৰত আৰম্ভ কৰিছিল তাইৰ আটাইতকৈ প্ৰিয় গীতটিৰ মাজৰ কলি এটি,

"গানে গানে তুমি মোৰ..

প্ৰাণে প্ৰাণে তুমি মোৰ..

দূৰে দূৰে নৰ'বা মোৰ,

পাওঁ যেন কাষতে মোৰ,

তেজে তেজে তুমি মোৰ হোৱা যুৰীয়া"

Kaushik

যেন কাঁহ পৰি জীন গৈছিল coomunity hall। ইমান নীৰৱ। ফিল্ডৰ পৰা ক'ৰবাৰ এচাটি বতাহে মাৰিছিল নেকি? হ'ব পাৰে। তাৰ মাজৰে কাৰোবাৰ বুকুত যেন বৰদৈচিলাৰ ধুমুহা বলিছিল। ষ্টেজত বগা ফুল থকা চুৰিদাৰ আৰু ৰঙা ৰঙৰ দুপাত্তাৰে সন্ধ্যাক দেখি তেওঁৰ যেন এনে লাগিছিল কোনো মানস প্ৰতিমা।

ঠিক দুই চেকেণ্ডৰ এটা gap দি স্বাভাৱিক সুৰত সন্ধ্যাই আৰম্ভ কৰিলে গানটো মিউজিকৰ তালে তালে,

"মলয়াৰ দুপাখিত মোৰ মনৰ বতৰা

পঠিয়ালোঁ তোমালে তুমি আদৰি ল'বা...."

গানটো শেষ হ'ল। সন্ধ্যাই যেন গমকে নাপালে। এজাক হাত চাপৰি আৰু তেজাল যৌৱনৰ উল্লাসৰে ভৰা চিঞৰৰ মাজত নামি আহিছিল সন্ধ্যা stageৰ পৰা। কোনোবাই once more বুলিও চিঞৰিছিল হ'বলা। step কেইটাত নামিব লওঁতেই হঠাৎ বেছি হেঁচা

ঠেলাৰ বাবে ঠিক পৰি যাবলৈ লওঁতেই কোনোবাই হাতত ধৰি টানি আনিলে তাইক। প্ৰথমে সাংঘাতিক ভয় খাইছিল যদিও ল'ৰা জন দেখি হাঁহি উঠিল তাইৰ।

"পাগল নি, ভাল কে খোজ পেলাব নাজান তই?" হাতখন এৰি দি কৈ উঠিল অভিমন্যুয়ে।

"হ'ব দে। তই আছ নহয় বচাবলৈ।" হাঁহি হাঁহি ক'লে তাই, "ব'ল, প্ৰিয়াহঁতৰ ওচৰত যাওঁ"

"ৰচোন, ই অনুৰণো মোৰ লগতে আছিল, তোক আনিবলৈ আগবাঢ়ি যাওঁতেই ক'ত গ'ল গে জানো।" ইফালে সিফালে চাই ক'লে অভিমন্যুয়ে।

কি? অনুৰণ আহিছিল? তাইৰ গান শুনিলে? সন্ধ্যাৰ বুকুখনত ঘপকৈ কিয় কঁপনি এটা উঠিছে বাৰু? কাৰোবাৰ নামৰ উচ্চাৰণতেই এনেকুৱা কিয় হয়?

"সি আহিছিল নেকি" সোধোঁ নোসোধোকৈ সুধিলে সন্ধ্যাই।

"অ আহিছিল। তাৰ মোবাইলতেই তোৰ ভিডিও টো ৰেকৰ্ড কৰিলোঁ, তোৰ এই ফটোৱা ফোন ডাল, চাৰ্জ শেষ হ'বলা, switch off হৈ গ'ল। মোৰ টোত আকৌ ভিডিও ভাল নহয়। হো ল।" এইবুলি ফোনটো তাইলৈ আগবঢ়াই দিলে সি।

সন্ধ্যাৰ চকু কেইটা যেন জোখতকৈ বেছি ডাঙৰ হৈছিল। অনুৰণৰ mobile ত তাইৰ গান ৰেকৰ্ড!! এই পাগল টোৰ কাম নাই নেকি বাৰু। আজিলৈকে ভালকে মতাই নাই তাক। কিয় জানো মাতোঁ বুলিও তাক মতাই নহয় তাইৰ। হাৰে মানুহক মাতিবলৈ হলে অলপ টো সিফালৰ পৰাও সহজ হব লাগিব না, কিন্তু সেই অনুৰণ আৰু যি মুখেৰে মাত নুফুটা, কোনে মাতিবগে তাক। আৰু এইডালে তাৰ মোবাইল ত ভিডিও কৰি থইছে।

"ঐ ব'ল, অনুৰণ হোষ্টেল গ'ল বোলে। msg দিছে।" কথাখিনি কৈ প্ৰিয়াহঁত থকাৰ ফালে আগবাঢ়িল অভিমন্যু।

ইমান ধুনীয়া program এৰি কোন হোষ্টেল যায় বাৰু । সঁচাই একদম bore এই অনুৰণ ল'ৰাটো। ভাবি ভাবি তাই প্ৰিয়াহঁতৰ ওচৰ পালেগৈ ।

"এ মেৰি জান, কি গাইছা তুমি" বুলি প্ৰিয়াই সাৱটি ধৰিলে তাইক। বিহুৰ সাজেৰে জুৰিও আহি ওচৰ পালেহি। তাৰ পাছত ক্ৰমান্বয়ে program বোৰ হৈ গ'ল। সন্ধ্যাহঁতৰ

Kaushik

ছিনিয়ৰ প্ৰাঞ্জল দাহঁতে হিয়া দিয়া নিয়াৰ ক'ভাৰ গালে। এই যে গানটো শুনিয়েই থাকিব পাৰি সদায়। গানৰ লগে লগে সন্ধ্যা হঁতেও চিঞৰিলে, যৌৱনে ক'লে আজি এইয়াই......"।

মাজতে দাদা এজনে বাঁহী বজালে। কাঞ্চনজংঘা হোষ্টেলৰ কৃষ্ণমণি দা। কি আচৰিত বাঁহী সুৰ। এনেও সৰুৰে পৰাই বাঁহী বুলিলে পাগল সন্ধ্যা। চকু টিপ নমৰাকৈ চাই আছিল তাই। অন্তৰত কিমানখিনি অনুভৱ থাকিলে তাক বাঁহীৰ সুৰেৰে নিগৰাব পাৰে বাৰু? শেষত বিহু । অভিমন্যুহঁতৰ হোষ্টেলৰে বেদান্ত দাই গাইছে। কি মাত !! সঁচাই, TU যেন প্ৰতিভাৰ এক মুকলি পথাৰ। "মোৰ জান ঐ আকাশখন ধুনীয়া"ৰ পৰা "কিনো চাঁৰনিৰে চালা মোক ঐ" লৈকে একো বাদ নপৰিল। সন্ধ্যা আৰু জুৰিক বিহু বুলিলে একোৱেই নালাগে । ঢোলৰ চেঁৰত হেঁপাহ পলুৱাই নাচিলে সিহঁতে । সন্ধ্যাই টানি টানি অভিমন্যুকো নচোৱালে। এইটোৱে আকৌ সঁচাকৈয়ে নাজানে নাচিব। লগতে আৰিফৰ vangra styleত নচা বিহু ৰাজদীপৰ চিঞৰেও ভাল আমোদ দিলে গোটেইকেটাক। নাচি নাচি "নতুন"ৰ পৰা সন্ধ্যাহঁত হৈ পৰিল তেজপুৰ বিশ্ববিদ্যালয় পৰিয়ালৰ স্বাভাৱিক সদস্য। শিথিল হৈ গ'ল ৭.৩০ টাৰ intimeৰ নিয়ম। seniorৰ raggingৰ ভয় এই চিঞৰবোৰৰ লগতেই যেন শেষ হ'ল। আকৌ এবাৰ কমিউনিটী হল জীপাল হ'ল এজাক নতুন যৌৱনেৰে। মুকলি ফিল্ডৰ বতাহজাকো যেন সাজু হ'ল কিছু নতুন কাহিনীৰ বাবে। প্ৰায় দহ বজাত প্ৰগাম শেষ হোৱাত ৰুম পালেহি সন্ধ্যাহঁত।

Kaushik

:"গানে গানে তুমি মোৰ প্ৰাণে প্ৰাণে তুমি মোৰ...." মেচত ভাত খাওঁতে তাইক দেখি দূৰৰ পৰাই চিঞৰি আহিল ৰীণা বাই,

:"এইবাৰ TUৰ ল'ৰা শেষ, যিডাল শেল মাৰিছে আমাৰ সন্ধ্যা ৰাগিনীয়ে"

বাৰ কথাত হাঁহি উঠিল গোটেই কেইজনীয়ে। মেচৰ এই আড্ডাখনৰ বাবেই ভাত শেষ কৰোঁতে সদায় আধা ঘন্টাৰ ওপৰ হয় সিহঁতৰ।

ঠিক এঘাৰ বাজিছে। ভাত খাই আহি হোষ্টেলৰ নিয়মীয়া আড্ডাবোৰ শেষ কৰি বিচনাত পৰোতেই সন্ধ্যাৰ মনত পৰিল, তাই এতিয়ালৈকে ভিডিও টো চোৱাই নাই। কিন্তু অনুৰণক !! নাই নাই, তাক নোৱাৰি। সন্ধ্যাই অভিমন্যুলৈ ফোন লগালে।

"ইমান ৰাতি, তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী?" ফোনটো ধৰিয়েই পাগলামি তাৰ।

"ঐ, এই ৰাতি খন মাথা টো গৰম নকৰ। কথা এটা কাৰণে ফোন কৰিলোঁ।" খঙতে ক'লে সন্ধ্যাই।

"ক ক জলদি, মোৰো তোৰ লগত কথা পাতি time waste কৰিব মন নাই।"

লেবেল শুন না তাৰ। মনতে ভাবিলে যদিও নক'লে তাই।

"Ok শুন, অনুৰণৰ পা মোৰ ভিডিও টো লৈ মোক send কৰ না" মাত টো মিহি কৰি সন্ধ্যাই আব্দাৰ কৰিলে।

"তয়ে খুজি ল আকৌ, মই ল'ম, আকৌ তোক দিম, তাত কে direct তাৰ পৰাই ল।"

ছেহঃ, কেনেকৈ বুজাই তাই ইয়াক। তেও তাই আকৌ চেষ্টা কৰিলে।

"একো নহয় দে না লৈ মোক প্লিজ।"

"নোৱাৰোঁ দেই, টোপনি ধৰিছে এতিয়া কামোৰ নিদিবি মোক। good night।" ফোন টো কাটি দিলে সি।

Kaushik

কেনেকুৱা faltu লৰা ই। একদম দেখিবলে মন নাযায়। কথা এটা ক'লে কিয় বুজি নাপাই মানে। খঙে যেন চুলিৰ আগ চুলে সন্ধ্যাৰ। কি কৰা যায়। উপায় নাপাই ক্লাছৰ গ্ৰুপৰ পৰা অনুৰণৰ নম্বৰটো লৈ মোবাইলত চেভ কৰি msg এটা type কৰিলে তাই।

"Hey, are u there? M Sandhya"

এক দুই কৈ প্ৰায় পাঁচ মিনিট পাৰ হ'ল। সি অন লাইন নাই যদিও deliver হৈছিল। seen কৰা নাই। কি বা ভাবিছে, ৰাতি এঘাৰটাত মেচেজ দিয়া দেখি। ধেৎ, তাই দিবই নালাগিছিল নেকি বাৰু? Blue tick অহাই নাই। নীলা ৰঙৰ সেই সৰু চিন দুডালে কেনেকৈ যে কঢ়িয়াই ফুৰে অনুভূতিবোৰ। deliver হ'ল যদিও মেচেজ চোৱাৰ কোনো লক্ষণ নেদেখি শুবলৈ সাজু হৈছিল সন্ধ্যা।

Data টো off কৰিবলে লওঁতেই মেচেজ tone টো বাজি উঠিল।

"Hi, kua suun" অনুৰণৰ মেচেজ।

ক'ব নোৱাৰাকৈয়ে হাঁহি এটা জিলিকি উঠিল সন্ধ্যাৰ মুখত। বুকুখন আকৌ যেন কঁপি উঠিল। খিৰিকীখন খোলা আছিল বাবেই হ'বলা আহো আহো কৰা বতাহজাকে কোবাইছিল চাগে সন্ধ্যাক।

(আগলৈ)

#নিৰিবিলি

Part 8

অনুৰণৰ মেচেজ অহাৰ পিছত এক মিনিটমান কি দিব ভাবি থাকোঁতেই গ'ল সন্ধ্যাৰ। কেনেকৈ সুধিব কি সুধিব বাৰু তাই। তাৰ শান্ত কথা নোকোৱা মুখখনলৈ মনত পৰিল বাৰে বাৰে। তেনেকুৱাতে আকৌ এটা মেচেজ তাৰ,

"Aji muloi monot poril je"

কি??? আজি মোলৈ মনত পৰিল মানে? আৰু আগতে পৰিব লাগিছিল নেকি মানে, কি কয় মানে ই। বুকুৰ ধপধপনি চোন বাঢ়ি আহিছে তাইৰ। ইমান বতাহ মাৰিছেনে বাহিৰত? reply কি দিব ভাবি ভাবি শেষত মেচেজ এটা type কৰিলে সন্ধ্যাই,

"Nhoi actually tumar nmbr tu nasilei mur tat"

"O, aru kua, keitat ahila aji program sai?" লগে লগেই reply.

ৱাহ, এখেতে কথা পাতিবও জানে মানে। সমুখত অকল "ও", "আ"। এতিয়া চোন নিজেই কথা উলিয়াইছে। বাৰু ভালেই, তাইৰ নিজকে অলপ মুকলি যেন লাগিল। মিচিকিয়া হাঁহিৰে মোবাইলৰ key board ত আঙুলি বোলালে তাই,

"Ekebare ses huar pasot, tumi he joldi gusi gola."

"Tumar tu sai gusi ahilu aru" সি দিলে।

কেনে হৈছিল মোৰ গানটো বুলি সুধিব খুজিও ৰৈ গ'ল তাই। সুধিব জানো? নাই নাই, ই এনেও যেন তেন কিবা এটা কৈ থৈ দিব, আৰু পাছত তাইৰ বেয়া লাগিব। হোষ্টেলতো আজি সকলোৱে কৈছে তাইক বহুত ধুনীয়া গাইছে বুলি। এতিয়া ইয়াৰ পৰা সোনকালে ভিডিও টো লোৱাই ভাল বুলি msg টাইপ কৰিলে,

"Actually tumar tat mur ganor vdo tu aisle, dibo pariba neki etia?"

"Oh, moi delete kori dilu nohoi seitu"

কি, ডিলিট কৰিলে? খঙে যেন মুখখন ৰঙা কৰিব তাইৰ। mobile টোকেই যেন দলিয়াই দিবলে মন গৈছে। কেনেকুৱা ধৰণৰ ল'ৰা ই। at least মোক send টো কৰি ল। অভিমন্যুৰ ওপৰতে খং উঠিল তাইৰ। কি দৰকাৰ আছিল এই টোৰ মোবাইলত

Kaushik

ৰেকৰ্ড কৰাৰ। এতিয়া এইয়া হে হ'ল। ইমান কাকো কেয়াৰ নকৰা কেনেকৈ হ'ব পাৰে। বাদ দে, কথাই নাপাতো ইয়াৰ লগত বুলি বহি আছিল তাই বিচনাতে অলপ সময়। খুব খং উঠিছিল। সন্ধ্যাৰ খংবোৰ আকৌ এটা সময়ত চকুপানীলৈ সলনি হৈ যায়। হয়তো এতিয়াও তেনেকুৱাই হ'লহেঁতেন। কিন্তু ঠিক দুই মিনিটমানৰ পাছত আকৌ msg tone টো বাজি উঠিল। বিৰক্তিৰে মোবাইল টো আনি চাওঁতেই দেখিলে অনুৰণে তাইৰ ভিডিও টো send কৰিছে। লগত এটা মেচেজ,

"Khub khong uthil sage na, sorry olop dhemali korilu."

আবেলিৰ হেঙুলীয়া আভা অলপ যেন বিয়পি পৰিল সন্ধ্যাৰ মুখত। আচৰিত এই ল'ৰাটো। ধেমালিও কৰিব জানে? তাকো এনেকৈ। কি যে নহয়। লাহে লাহে msg টো type কৰিলে তাই,

"Voi khuai disila tumi dei.. btw, thanks"

"Welcome"

আৰু একো নিদিওঁ বুলি ভিডিও টো চাবলৈ ল'লে তাই। ভালেই আছিল প্ৰথম প্ৰগ্ৰেম হিচাপে। গানৰ মাজে মাজে যে চিঞৰবোৰ। গাই থাকোঁতে উৰি থকা চুলিখিনিও বাৰে বাৰে ঠিক কৰি আছিল তাই। তাই যিমান ভয় খাই আছিল, তাৰ তুলনাত ভালেই হৈছে বাৰু। চাই হোৱাত বাথৰুমৰ পৰা আহি শো বুলি বিচনাত পৰোঁতেই আকৌ বাজি উঠিল msg tone টো,

"Oi, huna" অনুৰণৰ msg।

"O kua" লগে লগেই দিলে তাই।

"Gan tu dhuniya gaisila aji"

আকৌ এমুঠি হাঁহিৰ আবিৰ পৰিছিল সন্ধ্যাৰ মুখত ক'ব নোৱাৰাকৈ। গান গাই অহাৰ পাছৰে পৰা বহুতেই ভাল লাগিল বুলি কৈছে তাইক। কোনোবাই তাইৰ মাতৰ, তাইৰ হাঁহিৰ শলাগ লৈ দীঘলীয়া বক্তৃতাও দিছে। ক'তা, এইবাৰৰ দৰে চোন এনেকৈ মনটো ভৰি উঠাই নাছিল। কেতিয়াবা কাৰোবাৰ সৰু সৰু কথাতেই মনটো ক'ব নোৱাৰাকৈ ভাল লাগি যায়। সন্ধ্যাৰো লাগিছিল।

"Thank you Ron" ৰণ বুলি কিয় লিখিলে বাৰু তাই। নাজানে, কেতিয়াবা কিছুমান প্ৰশ্নৰ উত্তৰ একোৱেই চোন নাহে। আহে মাথোঁ কিছু ভাল লগা ; সংজ্ঞাবিহীন ভাৱে। কিয়

Kaushik

জানো তাক ৰণ বুলি হে মাতিবলৈ মন গ'ল তাইৰ। বুকুত ভাল লগা বোৰ লৈ টোপনিত ঢলি পৰিল সন্ধ্যা।

"ঐ ফাঁকিবাজ, dhoka দিলি তই মোক।"

ৰাতিপুৱা department ত সোমাওঁতেই অভিমন্যুয়ে ক'লে সন্ধ্যাক। কিহে পালে আকৌ এইটোক ৰাতিপুৱাই।

"কি dhokha দিলোঁ বা মই" সুধিলে তাই।

"কালি anchoring কৰিছিল যে প্ৰেৰণা, তাইক চিনাকি কৰাই দিম বুলি নিদিলি যে" খং খং ভাৱেৰে তাৰ উত্তৰ।

"বাপৰে তোৰ ৰাতি টোপনিয়েই নাহিল চাগে, হব দে ১০.৩০ টাৰ break ত লগ কৰাই দিম।"

১০.৩০ হোৱাৰ লগে লগে আকৌ সন্ধ্যাক খাটনি ধৰিলে সি। আচৰিত, ইমান কিয় এনেকুৱা মানে? একদম নিলাজ।

"ভাল কামোৰ দিব পাৰ দেই" বুলি সিহঁত এমেনিটীৰ ফালে ওলাই গ'ল। এতিয়া off class. গতিকে এমেনিটীতকৈ ভাল আড্ডাৰ ঠাই কি হ'ব পাৰে। চাৰিওফালে ষ্টুডেন্টৰ অহা যোৱা চলিয়েই আছে। ঘূৰণীয়া টেবুলকেইখনৰ পৰা চাহৰ ধোঁৱাৰ লগে লগে আড্ডাৰ সুৰো উৰি আহিছে। কোনোবাই কৰিডৰটোৰ টেবুলখনত বহিয়েই পেপাৰখন মেলিছে। কোনোবাই চিংৰা, কোনোবাই পেটিছ। বিশ্ববিদ্যালয়ৰ এটা সতেজ ৰাতিপুৱা। অভিমন্যুৰ ভাগ্য ভাল, সেই সময়ত প্ৰেৰণা তাতেই আছিল। তাই সন্ধ্যাহঁতকৈ এক batch senior। এমেনিটীত সোমায়েই পোৱা বাওঁফালৰ গছজোপাৰ তলৰ ঘূৰণীয়া চকীখনতে বহি আছিল প্ৰেৰণা।

"Hi প্ৰেৰণা বা, coffee লৈছা?" Coffee খাই থকা দেখিছিল যদিও সুধিব লাগে কাৰণেই সুধিলে সন্ধ্যাই।

"HEy সন্ধ্যা, আহা আহা। কালি সঁচাকৈ বহুত ধুনীয়া লাগিল দেই তোমাৰ গান" হাঁহি মুখেৰে উত্তৰ দিলে তাই।

"Thanks a lot baa। btw, বা, এইয়া মোৰ friend অভিমন্যু।" দেৰি নকৰি চিনাকি পৰ্ব আৰম্ভ কৰি দিলে সন্ধ্যাই। নহ'লে ই যি মানুহ, নিজেই চিনাকি হৈ তাইৰো নাক কাণ কাটিব।

Kaushik

"Hlw অভিমন্যু" ,এমোকোৰা হাঁহিৰে মাতিলে প্ৰেৰণাই।

সন্ধ্যাই মনতে ভাবিলে এই ডালে over smart দেখাব গৈ যা তা নবকিলেই হয়।

"Hlw, কালি তুমিয়েই কৰিছিলা ন anchoring. সঁচাই ভাল লাগিল বহুত। নহ'লে যে গোটেই program টোৱেই bore লাগিল হয়। তুমি গান এটা গাব পাৰিলা হয়, বৰ ধুনীয়া তোমাৰ মাতটো।" মুখত থন যিমান পাৰে সিমান innocent look এটা আনিবলৈ চেষ্টা কৰি ক'লে অভিমন্যুয়ে।

খঙত চেলাউৰী থুপ খাই আহিছিল সন্ধ্যাৰ। এনেকুৱা ফাঁকি দিব পাৰে ই। কালি নিজেই প্ৰিয়াহঁতৰ আগত কৈছিল, "anchoring কৰাজনীয়ে bore কৰিছে, একো ভাল লগা নাই। মাতটোও তেকতেকিয়া", আৰু এতিয়া তাৰ compliment কি চাবা। দুইটাৰে কথা যেন শেষেই নহব। চেনি দিয়াত যেন PhD কৰি আহিছে এই ল'ৰাটোৱে।

"অভি, আমি যাওঁ ব'ল। শৰ্মা sir আহিবই এতিয়া।" ইচ্ছা কৰিয়েই সিহঁতৰ কথাৰ মাজতে মাতি দিলে তাই।

"অ, ব'ল আৰু।" খং উঠিছে বুলি তাৰ কথাৰ সুৰতে গম পাইছিল সন্ধ্যাই।

"OK, bye অভিমন্যু। লগ পাম দিয়া।" প্ৰেৰণাও খোজ ল'লে লগৰ এজনীৰ লগত।

"কেনেকুৱা ফাল্টু তই। ইমান তেলীয়াব কেনেকৈ পাৰ। কালি কি কৈছিলি ফটোৱা anchoring, আৰু এতিয়া কৈছ তোমাৰ anchoring টোৱেই ভাল লাগিল। কিয় মানে এনেকুৱা তই।" একে উশাহতে কোৱা সন্ধ্যাৰ কথা খিনি শুনি হাঁহি উঠিল অভিমন্যুয়ে।

"তুমি নুবুজিবা দেহা, এইয়াই মোৰ টেকনিক। মাছ এনেকৈয়ে হাতলৈ আহে।" গৌৰৱৰ হাঁহি এটাৰে ক'লে সি। সন্ধ্যাৰ যেন দুগুণ খং উঠিল। মাছ?

"ছোৱালীবোৰক কি মাছ বুলি ভাব হা তই, তোৰ নিচিনা ফটুৱা ল'ৰাক মই ঘূৰিও নাচাও বুইছ।"

"O mother India, মোৰ ইমান বেয়া অৱস্থা হোৱা নাই যে তোৰ লগত try মাৰিম।" সন্ধ্যাৰ গালখনত চিকুট এটা মাৰি কৈ ডিপাৰ্টমেন্টলৈ সোমাই গৈছিল সি।

"মোৰো একো বেয়া অৱস্থা হোৱা নাই যে এনে আধা বলিয়া এটালে চাম।" ভোৰভোৰাই ক্লাছত সোমাই বেঞ্চত বহিল গৈ তাই। ছাৰ অহা নাছিল বাবে মোবাইল টোকে উলিয়াই লওঁতে দেখিলে তাই অথনিয়েই অহা এটা msg,

Kaushik

"Oi, kot asa.. sir ahibo etia, hunkale aha" লগত জিলিকি আছিল, অনুৰণ নামটো।

(আগলৈ)

#নিৰিবিলি

Part 9

মেছেজ টো অনুৰণে দিছিল। এই ল'ৰাটোৰ মেছেজবোৰে লগত হাঁহি বোৰ কেনেকৈ জানো কঢ়িয়াই আনে। সন্ধ্যাই নিজেও বুজি নাপায়। এবাৰ তালৈ চাই হাঁহিলে তাই। সিও।

ক্লাছ শেষ হোৱাৰ পাছত Shopping Complex লৈ ওলাল সন্ধ্যা। এইমাহৰ প্ৰান্তিক দুখন আনিবলৈ। ঘৰত থাকোঁতে তাই প্ৰতিটো পষেকেই পঢ়িছিল। কিন্তু ইয়াত আহি নোপোৱাই হ'ল। লাইব্ৰেৰীতো বিচাৰি নাপালে। Shop Com ত বহুত কিতাপৰ দোকান দেখিছে তাই। পাব লাগে তাতেই। প্ৰিয়াকো লগ ধৰিছিল। বেচেৰী গাটো ভাল নহয়। সন্ধ্যাই নিজেই মানা কৰিলে। এই অভিমন্যুটোক কৈতো লাভেই নাই। ক্লাছটো শেষ হোৱাৰ লগে লগেই হোষ্টেল গৈ ভাত এগাল খাই বিচনাত পেট পেলাই শুবলৈ নাপালে মহাভাৰতখন অশুদ্ধ হ'ব তাৰ। তাই নিজেই ওলাল।

"সন্ধ্যা, ক্লাছ শেষ?" পিছফালৰ মাতটো শুনি ঘূৰি চালে তাই। চন্দ্ৰালী বা আহি আছিল।

:"অ, শেষ হ'ল বা। shop comৰ পৰা আহোঁ প্ৰান্তিক এখন কিনি আনোঁ।" তাই ক'লে।

:"বঢ়িয়া, মইও যাওঁ ব'লা। জেৰক্স এটা কৰিবলে আছে।"

চন্দ্ৰালীৰ সৈতেই আগবাঢ়িল সন্ধ্যা।

:"প্ৰান্তিক তুমি মহামায়াতে পাবা।"

:"কোনখননো?" তাই চিনি পোৱা নাছিল।

:"কি? তুমি এতিয়ালৈকে মহামায়া চিনি পোৱাই নাই? ব'লা তোমাক আজি চিনাকি কৰাই দিম।" চন্দ্ৰালী যেন আচৰিত হৈছিল।

Kaushik

মহামায়া বুক ষ্টল। ইউনিভাৰ্চিটীৰ এখন প্ৰখ্যাত কিতাপৰ দোকান। পিছে কিতাপ কিনাতকৈও বেছি মানুহ তালৈ যায় মহামায়াৰ মালিক বকুল দা আৰু প্ৰশান্ত দাৰ সৈতে আদ্দা মাৰিবলৈহে। shopping complexৰ কৰিডৰেদি আগবাঢ়িল সিহঁত। সোঁফালে বিভিন্ন দোকানবোৰ। বাওঁফালে কৰিডৰটোৰ তলত গছবোৰৰ কাষে কাষে অফ ক্লাছ থকাবোৰৰ সৰু সৰু আড্ডা। ইয়াত এইটোৱেই ভাল। বেলেগ থাকক নাথাকক, আড্ডা মাৰিবলৈ ঠাইৰ অভাৱ নাই। ক'পাৰেটিভ নামৰ essentialৰ দৰে দোকানখন পাৰ হৈয়ে আৰু কেইখন মান সৰু সুৰা জেৰক্স, কিতাপ, আদিৰ দোকান। লগতে চেলুন এখনো আছে। চেলুনখনৰ আগৰখনেই "মহামায়া"। চন্দ্ৰালী সোমাওঁতেই দাদা জনে ক'লে,

:"আজি কালি আমাক পাহৰিলেই আৰু চন্দ্ৰাই।"

:"কেলৈ পাহৰিম বাৰু? এইয়া নতুন মানুহ লৈ আহিছোঁ। মোৰ জুনিয়ৰ, সন্ধ্যা।"

চন্দ্ৰালীৰ উত্তৰত নমস্কাৰ দিলে সন্ধ্যাই। বৰ ভাল দাদা দুজন। কম সময়তেই ঘৰৰ মানুহৰ দৰে হৈ পৰিল। সন্ধ্যাই প্ৰান্তিক পঢ়ে বুলি জানি বৰ ভাল পালে বকুল দাই।

:"আজিকালি তহঁতৰ নিচিনাবোৰে আকৌ মোবাইল হে চিনি পাই আলোচনীতকৈ বেছি।" বকুল দাৰ অভিযোগ। তেওঁ সকলোকে "তই" বুলিয়ে সম্বোধন কৰে। তই শব্দটোত সঁচাই বৰ আপোন ভাৱ এটা আছে। সন্ধ্যাই এবাৰ কিতাপবোৰ চালে।মহামায়াৰ ভিতৰখন কিতাপেৰেই ভৰ্তি। চাৰিওফালে চকু ফুৰালে সন্ধ্যাই। নানা ধৰণৰ কিতাপ। দোকানখন সৰু যদিও বৰ আটোম টোকাৰীকৈ ৰাখিছে। বাওঁফালে তলতে আলোচনীবোৰ। বিস্ময়, প্ৰিয়সখী এইবোৰ যে এসময়ত কম পঢ়িছিল নে লুকাই লুকাই।

:"সন্ধ্যা.."।

মাতটো শুনিহে সন্ধ্যাই মন কৰিলে কাষতে হাতত কিতাপ এখন লৈ এইটো ময়ূঁৰ। কাণত তাৰ চিৰপৰিচিত সংগী হেডফোন ডাল।

:"ঐ, দেখাই নাছিলোঁ তোমাক। চন্দ্ৰা বা, এয়া মোৰ ক্লাছমেট..."

সন্ধ্যাৰ কৈ নহওঁতেই চন্দ্ৰালীয়ে কৈ উঠিল,

:"চিনি পাওঁ, ময়ূঁৰ কৃষ্ণ বৰুৱা।"

আচৰিত হৈছিল সন্ধ্যা।

Kaushik

:"আমাৰ বাটৰ নাট এখনত ময়ূঁৰেও অভিনয় কৰি আছে। তেনেকৈয়ে আখৰাত লগ পাওঁ সদায়।" চন্দ্ৰালীয়ে হাঁহি মাৰি ক'লে।

:"ৱাহ, আহিয়েই ফিল্ডত নামি গৈছে আমাৰ হিৰো।" সন্ধ্যাৰ কথাত হাঁহি উঠিল সকলোৰে। অলপ সময় তাতেই কথা পাতি প্ৰান্তিক কেইখন লৈ হোষ্টেললৈ বুলি আহিল সিহঁত। "আকৌ আহিবা দেই" বুলি বকুল দাইয়ো বিদায় দিলে। এই আত্মীয়তাবোৰে ঘৰলৈ মনত পেলাই দিয়ে সন্ধ্যাক। কথা পাতি পাতি পাটকাই হোষ্টেলৰ সন্মুখ পালেহি সিহঁত। পাটকাইৰ কাষতেই new women হোষ্টেল। চন্দ্ৰালী তাৰেই আৱাসী। ময়ূঁৰো পাটকাইৰে।

:"তুমি অকলে যাব পাৰিবাতো?"

ময়ূঁৰৰ কথাত হাঁহি উঠিল সন্ধ্যাৰ। "পাৰিম" বুলি যাবলৈ লওঁতেই সন্ধ্যাৰ চকুত পৰিল পাটকাইৰ সমুখত এজোপা ধুনীয়া নেমু গছ। হোষ্টেলত সন্ধ্যাই আটাইতকৈ বেছি মিছ কৰা বস্তুটোৱেই হ'ল নেমু। এতিয়া নেমুকেইটা দেখি ৰ'ব নোৱাৰিলে তাই। বেগটো চন্দ্ৰালী বাৰ হাতত দি নামি গ'ল নেমুজোপাৰ ওচৰলৈ। চিঙিবলৈকে লৈছিল। হঠাৎ চিঞৰ,

:"ঐ, চুৰুণী। ক'ত চোৰ কৰিবলে আহিছ?"

সন্ধ্যাই ওপৰলৈ চাই দেখে নেমুগছ জোপাৰ লগৰ ৰুমটোৰ খিৰিকীখনৰ কাষত অভিমন্যু। এইডালে য'তে ত'তে কেলৈ ওলাই বাৰু।

:"ক'তনো চোৰ কৰিম? দুটাহে নিম।"

:"নোৱাৰ, নুচুবি একদম। সেয়া অকল পাটকাইৰ নেমু।" খঙেই উঠিল সন্ধ্যাৰ তাৰ কথাত।

:"হুঁহ, যেনেকৈ কৈছে সি যেন ঘৰৰ পৰা আনিহে ৰুইছিল। নিমেই যা।" ভোৰভোৰাই দুটা নেমু চিঙি আনিলে সন্ধ্যাই।

চন্দ্ৰালীহঁতৰ পৰা বিদায় লৈ সোৱণশিৰীত সোমালহি। নেমুকেইটা দেখিয়েই বিদিশাই চিঞৰিলে,

:"আয়ে, পাটকাই জোপাৰ নেকি বাৰু?"

Kaushik

সন্ধ্যাই মূৰ জোকাৰাত নিজেই কটাৰী উলিয়াই কাটিবলৈ ল'লে তাই। এনেতে ৰুমলৈ কোনোবা আহিল,

:"সন্ধ্যা, আমাকো নেমু দিয়া না।" প্ৰেৰণা সোমাই আহিল ৰুমলৈ।

:"ৱাহ, তই কেনেকৈ গম পালি? নাকটো কম দীঘল নে তোৰ?" বিদিশাৰ কথাত প্ৰেৰণাই ক'লে।

:"সন্ধ্যাৰ লগৰ অভিমন্যুয়ে ক'লে। ফেচবুকত মেচেজ দিছে, সন্ধ্যাৰ হাতত নেমু দি পঠাইছোঁ মই। খাবা।"

:"কি??" প্ৰেৰণাৰ উত্তৰ শুনি চিঞৰি উঠিল সন্ধ্যাই। এতিয়াই সমুখত এই নিলাজ মিছলীয়াটোক পোৱা হ'লে ঠিকচে কোবালে হেঁতেন তাই। ইমান বেছি ফাঁকিবাজ কেনেকৈ হ'ব পাৰে এই ল'ৰাটো।

মেচত ভাত খাই থাকোঁতে ভাতৰ পাতত নেমু দেখি ৰীণা বাই জোকালে,

:"চাবা দেই সন্ধ্যা, পাটকাইৰ নেমু জোপা কিন্তু কালিকা লগা। যিজনী ছোৱালীয়েই খাই, তাইয়েই পাটকাইৰ ল'ৰাৰ প্ৰেমত পৰে হেনোঁ।" হাঁহিৰ কোবত ৰ'ব নোৱাৰা হ'ল সিহঁত। এই ৰীণা বা জনীও যে। ক'ৰ পৰা শুনে এই কাহিনীবোৰ বাৰু।

প্ৰিয়াৰ গাটো বৰ ভাল নহয়। অলপ জ্বৰ জ্বৰ। এনেকুৱা সময়বোৰতে ঘৰলৈ মনত পৰে ছোৱালীবোৰৰ। সন্ধ্যাই বুজি পায়। সেইবাবেই প্ৰিয়াক অকলে এৰা নাই। কিন্তু সন্ধিয়া হোৱাৰ পাছত টেবলেট কেইটামান আনাটো উচিত হ'ব বুলি ভাবিলে তাই। সেইবুলিয়েই ওলাই গ'ল গেটৰ ওচৰৰ ফাৰ্মাচী খনলৈ। গেটৰ বাহিৰৰ পৰিৱেশটো সন্ধিয়া হোৱাৰ লগে লগেই মেলাৰ দৰে হৈ পৰে। একো কাম নাথাকিলেও এন্ধাৰ হোৱাৰ লগে লগে গেটৰ বাহিৰত গৈ দোকানৰ আগত আড্ডা এটা নামাৰিলেই যেন দিনটো আধৰুৱা। হাতত হয় গাখীৰ চাহ কাপ, নহ'লে ছিগাৰেট এটা। কিছুমানৰ হাতত আকৌ দুইটাই থাকে। আছে, এই দোকানবোৰতো যেন প্ৰাণ আছে। ইউনিভাৰ্চিটীখনক জীয়াই ৰখাত ইহঁতবোৰেও তো পালন কৰে ভূমিকা। ফাৰ্মাচীত গৈ জ্বৰৰ ঔষধকেইটা লৈ লৰালৰিকৈ আহি আছিল সন্ধ্যা। ঠিক পাটকাই পাইছিল। হঠাত বৰষুণ। গাজনি অলপ মাৰি আছিল হয়, কিন্তু এনেকৈ দপদপীয়া বৰষুণজাক আহিব বুলি তাইও ভবা নাছিল। ছেহ্। বৰ আপদীয়া এই বৰষুণজাক। উপায় নাপাই পাটকাইৰ সমুখৰ বাছ ষ্টপটোতেই ৰৈ দিলে। তাইকে ধৰি আৰু দুই এজন আছে তাত।

Kaushik

নাই, বৰষুণ ৰখাৰ লক্ষণেই নাই। কি কৰা যায়। সন্ধ্যাই বৰষুণ ভাল পাই, কিন্তু এতিয়া যে ঔষধ কেইটা প্ৰিয়াক দিবগৈ লাগে সোনকালে। বহি আছিল কিছু সময়।

এনেতে এটি পাতল বাঁহীৰ সুৰ। হয়, পাটকাইৰ পৰাই আহিছে। কোনে বজাইছে বাৰু। এবাৰত তাই হোষ্টেলটোৰ ফালেও চালে। নাই কাকো দেখা নাই। কোন হ'ব নো? কৃষ্ণমণি দা কাঞ্চনজংঘাৰ হে। কিন্তু পাটকাইৰ এইজন কোন?

বৰষুণ কমাৰ লক্ষণ নেদেখি তাইঅভিমন্যুলৈ ফোন লগালে।

:"কোৱা জান" তাৰ চেনি আৰম্ভ।

:"তহঁতৰ হোষ্টেলৰ আগত আছোঁ। ছাতি নানিলোঁ। আহ না মোক থৈ আহিবি।"

:"মোৰ ছাতি নাই ঔ দেহা।"

:"বিচাৰিতো চা। বেলেগৰ তাত।"

:"নোৱাৰোঁ মই। অলপ থাকচোন। ফিল কৰ বৰষুণটো। বেছি দেৰি হ'লে কিবা এটা কৰিম বাৰু"

খঙত ফোনটো কাটি দিলে তাই। কিয় এই ল'ৰাটো এনেকুৱা। মাতিবই নালাগে মানে এইচবক।

বাঁহীৰ সুৰটো ৰৈ গ'ল। কি হ'ল বা? উস্, ৰৈ ৰৈ অশান্তি লাগি আহিছে সন্ধ্যাৰ। নকমাও হ'ল বৰষুণজাক।

:"সন্ধ্যা.."।

কাৰ মাত? কোন ফালে? আগবাঢ়ি গৈ দেখে ক'লা ছাতি এটাৰ তলত অনুৰণ।

:"তুমি?"

:"আহা" মাতিলে সি।

তাইও আগবাঢ়ি আহিল। ছাতিটোৰ তলতে ৰ'ল। লাহে লাহে আগবাঢ়িল সোৱণশিৰীলৈ। কি ক'ব সন্ধ্যাই? কি কথা উলিয়াই? অনুৰণ নিশ্চুপ হৈ গৈ আছে। তাইও। ছাতিৰ কাষেৰে অহা এচাৰকণি বোৰে তাইৰ বাহুটো অলপ তিয়াইছে। হয়তো তাৰো। ছাতিটোৰ ওপৰৰ ছেৰছেৰ বৰষুণৰ শব্দটোও চোন আজি ভাল লাগিছে সন্ধ্যাৰ। এৰা, কাৰোবাৰ সান্নিধ্যত নীৰৱতাৰ মাজতো সংগীত বাজে।

Kaushik

:"তুমি কেনেকৈ জানিলা, মই ইয়াত আছোঁ বুলি।" তাই সুধিলে।

:"নাই মানে, essentialৰ পৰা কিবা এটা কিনিব লগা আছে। ওলাই আহোঁতেই তোমাক দেখিলোঁ।" সেই একেই শান্ত সুৰ। কি আছে ইয়াৰ মাতটোত। ইমান প্ৰশান্তি কেনেকৈ। সোৱণশিৰী পালেহি সিহঁত। গোটেই বাটটোত অকল সেই দুষাৰেই কথা। থাকক। মুখ ফুটাই ক'লেহে জানো কথা পতা হয়? নীৰৱতাৰো বহু অৰ্থ থাকে, শব্দতকৈও অধিক মৰ্মভেদী।

:"যাওঁ। মোৰ কাৰণে মিছাতে কষ্ট হ'ল তোমাৰ।" হোষ্টেল পাই সন্ধ্যাই ক'লে।

:"একো নাই। কেতিয়াবা কষ্ট কৰিও ভাল লাগে।" অনুৰণৰ একেই শান্ত উত্তৰ, "ছাতিটো সৰু, তুমি অলপ তিতিলা চাগে।"

:"একো নাই, কেতিয়াবা তিতিও ভাল লাগে।" সন্ধ্যাইও একে সুৰতেই ক'লে। সি এবাৰ চকুলৈ চাইছিল তাইৰ। তাইও। শান্ত চকুযোৰত সন্ধ্যা জিলিকি উঠিছিল। তাৰ পাছতেই গুছি গৈছিল তাই ভিতৰলৈ। চাওঁ বুলিও চাব পৰা নাছিল উলটি। সিও উভতি গৈছিল।

অভিমন্যুয়ে ফোন কৰিছিল যাব লাগিব নেকি। তাই ক'লে আহিলো বুলি। কিয় জানো কিবা এটা ভাল লগাই তাইৰ খং উঠি থকা মনটোও শান্ত কৰি দিছিল।

বৰষুণৰ মাজে মাজে সোৱণশিৰীৰ কোনোবাটো ৰুমত স্পীকাৰত বাজি আছিল,

:"বাৰিষাৰে বৰষুণে তোমাৰ কথাকেই ক'ব,

অভিমানী দুটি উঁঠে নিয়ঁৰ কণা সৰাব......."

(আগলৈ)

#নিৰিবিলি

Part 10

প্ৰিয়া আজি ক্লাছলৈ অহা নাই। কালি টেবলেট কেইটা খোৱাৰ পাছত গাটো ভাল পাইছিল যদিও সন্ধ্যায়েই মানা কৰিলে। থাকক। আজি দিনটো জিৰাওঁক। অকলেই ডিপাৰ্টমেন্ট পালেহি আজি সন্ধ্যা। সোনকাল হৈয়ে আছিল বাবে বেগটো ৰুমত থৈ ওলাই আহিল। এই চৌহদটোৰ কথা যেন কৈ থাকিলেও শেষ নহ'ব। সন্ধ্যাহঁতৰ লগতে ৫

টাকৈ ডিপাৰ্টমেণ্ট থকা এইটো একাডেমিক বিল্ডিং ১। পুৰণি হৈছে যদিও এতিয়াও ধুনীয়া হৈ আছে। চাৰিওফালে গছেৰে আৱৰি আছে। ৰাস্তাটোৰ সিটো পাৰে আকৌ CSB। অৰ্থাৎ চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱন। সমুখতে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ মূৰ্তিটো নিৰ্মাণ কৰিও থোৱা আছে। বিশ্ববিদ্যালয়ত হোৱা বিভিন্ন নাটকৰ প্ৰেকটিছ তাৰ ভিতৰতে হয় হেনো। সন্ধ্যা মাজতে এদিন সোমাইছিল। সিহঁতৰ NSSৰ পেপাৰখনৰ বাবে। বৰ ডাঙৰ হলটো। কিমান চাগে নাটকৰ চৰিত্ৰই ৰূপ পাইছে। কত যে আখৰা, কত যে হাঁহি, দুষ্টালিৰ সাক্ষী CSB। সিদিনা ধন দা মানে সিদ্ধাৰ্থই কৈছিল তাইক, সিহঁতে কিবা উপন্যাস এখনৰ নাট্যৰূপ দিয়াৰ কথা ভাবিছে হেনোঁ। তেতিয়া চাগে ইয়াতেই আখৰাবোৰ হ'ব।

সন্ধ্যাহঁতৰ একাডেমিক বিল্ডিংটোৰ সমুখতে এটা ধুনীয়া পুখুৰী। কাষতে এজুপি কৃষ্ণচূড়া। সন্ধ্যাৰ আটাইতকৈ প্ৰিয় ফুল। সৰাফুলবোৰ পৰি গোটেইখন যে ৰঙা দলিচা হৈ থাকে। মাজে মাজে এচাটি বতাহ। কেতিয়াবা উৰি আহে কৃষ্ণচূড়াৰ এটি দুটি সৰু পাহি। পুখুৰীটোৰ কাষৰ পুলটোত বহিল তাই। পুখুৰীটোত বিল্ডিংটোৰ প্ৰতিচ্ছবিটো জিলিকি কেনভাছৰ দৰে লাগিছে। এখন কঁপি থকা কেনভাছ। এই যে শান্ত পৰিৱেশটো, এই যে পাতলীয়া বতাহজাক, সন্ধ্যাৰ এনে লাগে কিবা যেন উপন্যাসৰ বৰ্ণনাহে পঢ়িছে। কোনে যে ইমান আটোম টোকাৰিকৈ সজাইছিল এই নগৰখন। কিছু আঁতৰত অন্য এটা বিল্ডিঙো বনাই আছে। সন্ধ্যাই কাৰোবাৰ কাৰোবাৰ মুখত শুনিছে, সেইটো বনাই হ'লে সিহঁতৰ ক্লাছবোৰ তাত হ'ব বোলে। অকল সিহঁতৰেই নহয়, অসমীয়া কেন্দ্ৰটোৰ বাহিৰে গোটেইকেইটা ডিপাৰ্টমেণ্টেই তালৈ উঠি যাব। এতিয়া অকল Educationৰ ক্লাছবোৰ হয় তাত। অভিমন্যুহঁতৰ BEdৰ পেপাৰৰ ক্লাছো তাতেই হয়। সেইটো লৈয়েই সি ওস্তাদিও মাৰে। সন্ধ্যাৰ পিছে এইটো বিল্ডিংহে বেছি পচন্দৰ। গোটেই ঠাইখিনি গছৰ ছাঁৰে ইমান শান্ত হৈ থাকে। ক্লাছ কৰি থাকোঁতে কেতিয়াবা দুই এটা চৰাইৰ মাতো শুনা পায়। হয়, নতুন বিল্ডিংটো বহুত ধুনীয়াকৈ সজাইছে। অত্যাধুনিক অট্টালিকা। কিন্তু ইটা বালিৰ অট্টালিকাবোৰে জানো গছবোৰৰ হেঁপাহ চুমিব পাৰে? ওখ ওখ দালানবোৰে কৃষ্ণচূড়াৰ পাহিবোৰৰ দৰে মনত ৰং সানিব পাৰে নে? ACৰ শীতলতাত গছৰ পৰা বলা বতাহজাকৰ মাদকতা থাকে জানো?

:"আজি ক্লাছ ইয়াতে কৰিবা নেকি?"

কাৰোবাৰ মাতত ঘূৰি চালে সন্ধ্যাই। ময়ূঁৰ ৰৈ আছিল। কি কি যে ভাবি আছিল সন্ধ্যাই। সি অহা গমকে নাপায়।

Kaushik

:"নাই অ'। কোনো অহা নাই কাৰণে বহিছো অলপ। চোৱা না ইমান ধুনীয়া লাগে এই ঠাইখিনি।" তাই ক'লে।

:"সঁচাই বৰ ধুনীয়া কেম্পাছটো।"

:"তুমি অনবৰতে এইডাল কিয় লৈ ফুৰা বাৰু? ইমান গান শুনানে" ময়ূঁৰৰ ডিঙিত ওলমি থকা হেডফোন ডাললৈ চাই ক'লে সন্ধ্যাই।

:"গানবোৰৰ মাজত নতুন পৃথিৱী এখন বনাই লওঁ, মোৰ নিজৰকৈ।" এটা হাঁহিৰে উত্তৰ দিলে সি।

সন্ধ্যাই চালে তালৈ। কিবা যেন বহুত কাহিনী সোমাই আছে ময়ূঁৰৰ চকুজুৰিত। ভাবি নাপাই তাই।

:"যাওঁ ব'লা সন্ধ্যা।" বুলি আগুৱালে সি। পিছে পিছে তাইও।

ক্লাছত এটা খবৰে অপেক্ষা কৰিছিল সন্ধ্যাহঁতলৈ। আৰু এক সপ্তাহ পাছত পৰীক্ষা। কি!! সকলোৰে যেন চুলিৰ আগত জীৱ পাইছিলগৈ। ফ্ৰেচাৰ্চ হৈ গৈছেহে। এতিয়া মুকলি হৈছে হে অলপ সিহঁত। কিন্তু এই পৰীক্ষাটো। কিন্তু নাই, মানি লোৱাৰ বাহিৰেতো একো উপায় নাই সিহঁতৰ। এনেকুৱাই TU। পৰীক্ষাৰ লগত হেৰফেৰ নাই। এই কেইদিন প্ৰেকটিছ বুলিয়েই পাৰ হ'ল। আজিৰ পৰা পঢ়িব লাগিব। মনতে ভাবিলে সন্ধ্যাই। বিশ্ববিদ্যালয়ৰ প্ৰথম পৰীক্ষা। কেনেকুৱা বা প্ৰশ্ন কাটে চাগে।

ক্লাছ শেষ হোৱাৰ পাছত আটাইকেইটা একেলগে হোষ্টেল যাবলৈ ওলাল। সিহঁত ৮/৯ টা মানৰ ভাল গ্ৰুপ এটা হৈছে। ইউনিভাৰ্চিটীৰ আমনি লগা সময়বোৰো সজীৱ হৈ উঠে সিহঁত যেতিয়া একেলগে থাকে। ক্লাছলৈ আহোঁতে বেলেগকৈ আহিলেও যাওঁতে গোটেইবোৰ একেলগেই যায়। আগে আগে সন্ধ্যাহঁত। পিছত হাফ পেডেল মাৰি জোকাই জোকাই অভিমন্যু। কাষত একো নোকোৱাকৈ অনুৰণ। কালি হোষ্টেলত থ'বলৈ অহাৰ পাছত আজি অনুৰণৰ লগত দুই এষাৰ কথা পাতিম বুলি ভাবিছিল সন্ধ্যাই। সেয়ে ক্লাছৰ পৰা ওলাওঁতে তাক নিজেই মাত লগালে,

"second half ৰ class কেইটা কৰিবানে?"

"চাওঁচোন" বুলি কৈয়ে আঁতৰি গৈছিল অনুৰণ। সন্ধ্যাৰ কাণ মূৰ যেন গৰম হৈ পৰিছিল। হয়তো লাজ, নহ'লে খং। কেনেকুৱা মানুহ অ', কালি ইমান ভাল কৈ কথা পতাৰ পাচতো আজি এনেকৈ অচিনাকিৰ দৰে ব্যৱহাৰ যে। মানুহৰ লগত সহজে মিলি

যাব পাৰে বুলি সন্ধ্যাৰ পাতল কৈ অহংকাৰ এটাও নথকা নহয়। কিন্তু এই অনুৰণৰ আচৰণে তাইৰ ইমান দিনৰ গৰ্বত যেন আঘাত হানিছে। কিন্তু কিয়। নে তাইক কিবা বেয়া !! নাইতো, বেয়া পাব লগাকৈ তাইনো কি কৰিলে?

"এনেই আজি lunch department তেই কৰাৰ plan নি তোৰ ?" কোন সময়ত অভিমন্যু আহি ওচৰ পালেহি ক'বই নোৱাৰে সন্ধ্যাই। কি যে কথাবোৰ ভাবি আছিল নহয়। "ব'ল যাওঁ" বুলি ওলাই আহিল তাৰ লগতে।

হোষ্টেলত দুপৰীয়াৰ ভাত কেইটা খাই অলপ বিচনাতে পৰিছিল সন্ধ্যা। ৩.৩০ ৰ পৰা আকৌ ক্লাছ। এই সময়ৰ ক্লাছবোৰ যে একদম কৰিবলৈ মন নাযায়। ইমান টোপনি ধৰে। জোৰকৈ মেলি থ'ব লাগে চকুকেইটা।অলপ সময় জিৰাও বুলি পৰি থাকোঁতেই থাকোতেই মেচেজ tone টো বাজি উঠিল,

"Class jam moi.. jaba nohoi tumi?"

অনুৰণৰ মেচেজ। কি আচৰিত বাৰু এই ল'ৰাটো। অথনি নিজেই উপযাচি মাতোঁতেও ignore কৰি গুচি গ'ল। আৰু এতিয়া নিজেই মেচেজ দিছে। একো reply নিদিব নেকি তাই। নাই দিয়াই যাওঁক। type কৰিলে,

"Sau suun"

"Dialogue copy maribo napai" তাৰ উত্তৰ।

"Karu dialogue mara nai"

"Othoni moi e koisilu suun"

"Ohh, hoi nki, moi mon nokorilu actually." থংবোৰ গম নোপোৱাকৈ অভিমানলৈ সলনি হৈছিল চাগে সন্ধ্যাৰ।

"Hobo baru, etia class jaba nai seitu kua?" কেলৈনো লাগে ইয়াক ইমান বুলি তাই লিখিলে,

"Kele lage, moi nogolu e jeniba class ki koriba nu tumi"

"Moiu najau tetia"

তাৰ শেষৰ msg টোত ৰৈ গ'ল সন্ধ্যা স্তব্ধ হৈ।

কথাটো অভিমন্যুয়ে কোৱা হলে হয়তো মিলিল হয়, কিন্তু অনুৰণ, যাৰ লগত আজিলৈকে ভালকৈ কথাই পাতি পোৱা নাই, সি ক্লাছলৈ নাযায় তাই নগ'লে। কথাবোৰ

Kaushik

যেন সন্ধ্যাৰ মূৰৰ ওপৰেৰে গৈছে। তথাপি কিয় জানো তাইৰ এটা প্ৰমাণ চাবলৈ মন গ'ল। সেইবাবেই মেচেজ type কৰিলে,

"Nai moi najau aji"

"Ok" বুলি শলাগি থ'লে সি। ক'তনো নোযোৱাকৈ থাকিব বুলি ক্লাছলৈ ওলাই নিশাৰ ৰুম পালেগৈ সন্ধ্যা। তাই কৈ থৈছিল ক্লাছ যোৱাৰ আগত জগাবলৈ। এইজনী যি হে এলেহুৱা, তাই নগ'লে যে ফস্তি মাৰি শুই থাকিব জানে সন্ধ্যাই।

"ঐ নিশা, উঠ। ৩ টা বাজি গ'ল।" শুই থকা নিশাক জোকাৰি দিলে তাই।

"মই নাযাওঁ। টোপনি আহিছে, যা না তই।"

চকু নেমেলাকৈয়ে উত্তৰ দিলে তাই। হয়, এনেকুৱাই হয় বহুতৰ লগত। যাম যাম বুলি ভাবি থোৱা ছেকেণ্ড হাফৰ ক্লাছকেইটা ভাত খাই বিচনাত পৰাৰ পাছতে যাবলৈ মন নোযোৱা হয়।

কিন্তু সন্ধ্যাও ইমান সহজে এৰা বিধৰ নহয়,

"উঠ না অ'। এটা হে ক্লাছ। কৰি আহোঁ। ব'ল না।" অলপ জোৰকৈয়ে জোকাৰি দিলে তাই।হঠাৎ উঠি লৈ নিশাই গালি আৰম্ভ কৰি দিলে,

"শুবলে শান্তি নাপাওঁ তোৰ পা। জানো নহয় তই কিয় এটাও ক্লাছ ক্ষতি নকৰ।"

"কি জান অ' তই?" অলপ ভয়ে ভয়ে সুধিলে সন্ধ্যাই।

"অভিমন্যুৰ লগত লাগিবলে নাপালে তোৰ ৰাতি টোপনি যায় জানো" তাই বিচনাৰ পৰা নামি লৈ ক'লে।

সঁচাকৈ নিশাই কোৱাটো হয় জানো, অকল অভিমন্যুৰ কাৰণেই ক্লাছলৈ ওলাইছেনে তাই। নে বেলেগ কিবা !!

"ঐ, কি ভাবিব লাগিলি আকৌ, ব'ল।" কথাবোৰ ভাবি থাকোঁতেই মাত লগালে নিশাই। দুয়োজনী ক্লাছলৈ বুলি ওলাল।

ডিপাৰ্টমেণ্ট পাওঁতেই দেখিলে সিফালৰ পৰা অভিমন্যু আহি আছে অকলে চাইকেলত। সদায় অভিমন্যু, অনুৰণ আৰু বিশ্বজিৎ নামৰ আন এটা ল'ৰা একেলগেই ক্লাছলৈ আহে। কিন্তু আজি অনুৰণ ক'ত। অভিমন্যু ওচৰ পাওঁতেই ঘপকৈ সুধি পেলালে সন্ধ্যাই,

Kaushik

"অনুৰণ নাহে নেকি?"

অলপ আচৰিত হোৱাৰ দৰে অভিমন্যুয়ে চাওঁতেহে মনত লাগিল সন্ধ্যাৰ, তাই ঘপকৈ তাৰ কথা সুধিব নালাগিছিল।

"নাহে সি। কিবা চিনেমা চাই আছে।" বুলি কৈ ভিতৰলৈ সোমাই গ'ল অভিমন্যু। পিছে পিছে সন্ধ্যাও। ঠিক ৩.৩০ মানত মৃণালিনী মেম আহি ক্লাছ আৰম্ভ কৰিলে। কিন্তু অনুৰণ ! সি কি সঁচাই নাহে নেকি। সন্ধ্যাৰ যেন ক্লাছত মন বহা নাছিল। ছেহঃ কি কৰিলে বাৰু তাই। উপায় নাপাই শেষত মেমে নেদেখাকৈ মোবাইল টো উলিয়াই তালৈ type কৰিলে তাই,

"Oi, moi ahisu class.. nahila j tumi?"

মেচেজ চোৱাৰ পাছতো একো reply নাহিল তাৰ পৰা। সন্ধ্যাৰ নিজৰ ওপৰতে খং উঠিল। কিহে পাইছিল বাৰু তাইক। মিছাতে এটা ক্লাছ মিছ হ'ল তাৰ। ঠিক ৩.৪৫ হৈছিল। হঠাৎ ক্লাছৰুমৰ দুৱাৰত কোনোবাই টুকুৰিয়াই কৈ উঠিল, "May I come in maam?"

বাহিৰলৈ চকু নি সন্ধ্যাই দেখিলে দুৱাৰৰ সিটো মূৰত অনুৰণ ৰৈ আছিল। তাক দেখিয়েই মেমে খঙত ক'ব ধৰিলে,

"Don't you know you are late already? I have been very vocal about my class timings and its discipline. You have not only wasted your own time but also of your classmates. It's very irritating when someone comes during middle of an ongoing class!"

মেমে উশাহ নসলোৱাকৈ কৈ গৈছিল।

"M sorry maam. I'll be on time from next class." তল মূৰ কৰি উত্তৰ দিলে অনুৰণে।

"From next time, I don't want to see you late. Otherwise, you very well know me. Now come in"
এতিয়াহে কিছু শান্ত হ'ল মেম। সি ভিতৰলৈ আহিল।

নিজকে চৰিয়াবলৈ মন গ'ল সন্ধ্যাৰ। ধেৎ, কি গৰজ পৰিছিল তাইৰ। তাইৰ বাবেই গালি খাব লগা হ'ল বেচেৰাই সকলোৰে আগত। মৃণালিনী মেম over strict বুলি জনাৰ পাছতো কিয় যে মানে। নিজৰ দোষত বেলেগক শাস্তি খোওৱা মানুহ তাই নহয়। তথাপি আজি কি যে ভূত লম্ভিছিল বাৰু। কথাবোৰ ভাবি থাকোঁতেই ক্লাছটো শেষ হ'ল।

Kaushik

"তুমি নাহো বুলি কৈ আহি গ'লা যে?" বাটত গৈ থাকোঁতে অনুৰণক সুধিলে অভিমন্যুয়ে।

"নাহিম ভাবিছিলোঁ, পাছত ভাবিলোঁ গৈয়ে দিওঁ।" শান্ত হাঁহিৰে উত্তৰ দিলে সি।

বাৰে বাৰে sorry কওঁ বুলিও ক'ব পৰা নাই তাক সন্ধ্যাই। তাৰ যেন চকুলেও চাবলৈ সাহস হোৱা নাই তাইৰ।

হোষ্টেলত সোমায়েই বেগটো নোথোৱাকৈয়ে মোবাইলত মেচেজ type কৰিলে তাই,

"I m really very very sorry, plz beya napaba.."

ঠিক লগে লগেই reply আহিল,

"Eku nai dia"

তাই আকৌ লিখিলে,

"Moi xosakoi voba nasilu je moi najau buli kole tumiu najaba"

"Etia buji pala tu?" অনুৰণে ক'লে।

"Kintu tumi log pale je mukhere namata!" ,সন্ধ্যাৰ মেচেজত যেন অভিমান।

"Sob kotha mukhere koboi lagibo neki"

এৰা, সকলো কথা শব্দৰেই প্ৰকাশ কৰিব লাগিব বুলিতো কথা নাই। আকৌ এজাক যেন বতাহ। সন্ধ্যাক যেন কোবাই গৈছে। বুকুৰ ঢপ ঢপনি যেন তাই শুনা পাইছে। কেনে অনুভূতি এইয়া!!!

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 11

অনুৰণৰ মেচেজটোৰ reply দিয়াৰ যেন সাহস নাছিল সন্ধ্যাৰ। তাই নাজানে, মুখেৰে নোকোৱা কথা কোনবোৰ। তাই নুবুজে শব্দ নথকা ভাষা কোনবোৰ। হাঁহিৰ smiley দুটা দিয়েই সামৰিলে তাই। এৰা, আজিকালিৰ যুগত অনুভৱবোৰ এই smiley বোৰেহে যেন ধৰি ৰাখিছে গৈ।

সি "একো নাই" বুলি কৈছিল যদিও সন্ধ্যাৰ যেন নিজৰে ভাল লগা নাছিল। অনুৰণৰ মানসিক অৱস্থাটোৰ কথা ভাবি খুব বেয়া লাগিল তাইৰ। তাৰ ঠাইত তাই হোৱা হ'লে চাগে ক্লাছতে কান্দি দিলে হয়। মেমেও এই সৰু কথাতে লৈয়ে যে ইমান শুনালে। আচৰিত, মানুহবোৰে ডাঙৰ হ'লে কিয় পাহৰি যায় বাৰু তেওঁলোকো যে এদিন সৰু আছিলে। ছেঃ, অনুৰণে বা কি কৰি আছে। পৰা হ'লে এতিয়াই তাই গৈ তাৰ লগত কথা পাতি মন টো পাতলাই দিলে হয়। তাই জানে, সাংঘাটিক দুখত থকা কাৰোবাকো মন ভাল লগাব পৰা ক্ষমতা তাইৰ আছে। ৰুমতেই কিমান দিন মন মাৰি থকা বিদিশা বাক এক মিনিটত হঁহুৱাই দিছে তাই। কিন্তু অনুৰণক কি কৰা যায়। দোষী দোষী ভাৱ এটাই যেন অশান্তি দিছিল সন্ধ্যাক। শেষত তাই অভিমন্যুলৈ ফোন লগালে। সি লগত থাকিলে অন্ততঃ অনুৰণে পাহৰি থাকিব পাৰিব ক্লাছৰ কথাবোৰ।

"The number you have dialed is currently busy"

Busy??? এই সময়ত!! খং উঠিল সন্ধ্যাৰ। কাৰ লগত পেন পেনাই আছে এই পাগলটোৱে। ঘৰৰ পৰা টো ৰাতি হে ফোন কৰে। তেন্তে কোন! বিশেষ কাৰোবাৰ ফোনৰ পৰা অহা এইশাৰী বাক্যই মানুহক যেন খং, দুখ, কষ্ট, জ্বলনৰ এটা মিশ্ৰণহে দি যায়। সন্ধ্যাৰ লগতো চাগে সেইটোৱেই হৈছিল। ভাবি থাকোতেই অভিমন্যুয়ে call back কৰিলে। ফোনটো ৰিচিভ কৰিয়েই চিঞৰি উঠিল সন্ধ্যাই,

"কোন হা কোন, কাৰ লগত ফেনাই আছিলি তই, busy যে?"

"মোৰ wife ৰ লগত" দুষ্টালিৰ হাঁহিৰে অভিমন্যুৰ উত্তৰ।

"কোনজনী ছোৱালীৰ ইমান দুৰ্ভাগ্য হৈছে বাৰু" বিৰক্তি ৰে সুধিলে তাই।

"প্ৰেৰণা" গৌৰৱেৰে যেন উত্তৰ দিলে সি।

"What, তাইৰ ফোন নম্বৰ কেতিয়া ল'লি তই" আচৰিত হৈছিল সন্ধ্যা। সিদিনা চিনাকি, আজি ফোন নম্বৰ? ইমান ফাষ্ট দেখোন কৰণ জোহৰৰ চিনেমাৰ প্ৰেম কাহিনীও নহয়।

:"Abhimanyu doesn't need time to get a girl, বুজিছ?" আকৌ হাঁহি তাৰ। উস্, যেন যুদ্ধ জয় হে কৰিছে। খঙেই উঠিছিল সন্ধ্যাৰ।

"যিয়েই নহওঁক কিয়, তই সেইবুলি মোৰ ফোন ৰিচিভ নকৰি তাইৰ লগত কিয় কথা পাতিবি হা?" সন্ধ্যাৰ মাতত এইবাৰ খং স্পষ্ট। ক'ব নোৱাৰাকৈয়ে যেন এক অধিকাৰ।

Kaushik

"উফ, তই ফোন কৰা কাৰণেই কাটি দিলোঁ অ' মই। বেলেগ হোৱা হয় গালি খালে হেঁতেন।এতিয়া কথাটো ক।" যেন অধিকাৰৰ অস্তিত্ব সিও মানি লৈছে।

মুখলৈ অহা হাঁহিটো জোৰকৈ সামৰি সন্ধ্যাই ক'লে, "তই অলপ অনুৰণৰ লগত থাক না"

"কিয়, কি হ'ল তাৰ?" অভিমন্যু আচৰিত হৈছিল অলপ।

"আজি ক্লাছত কি হৈছিল মনত নাই জানো, তাৰ চাগে বেয়া লাগি আছে। তই থাকিলে অলপ ভাল লাগিব মনটো।"

"সি তোৰ নিচিনা পেনেৰী বুলি ভাবিছ নি?"

"উফ, তোক যিটো কৈছোঁ সেইটো কৰ না"

"হ'ব দে, যাওঁ বাৰু তাৰ ৰুমলৈ।" শেষত মান্তি হ'ল সি।

"ঐ শুন" ফোনটো কাটিবলৈ লওঁতেই মাত লগালে সন্ধ্যাই আকৌ।

"ক"

"তই কি প্ৰেৰণাক সঁচা কে ভাল পাৱ?" সোধো নোসোধোকৈ সুধিলে তাই।

"পাগল নি তই, এনেই পাতিছোঁ অ' কথা। নাপাওঁ ভাল চাল।" কৈফিয়ৎ দিলে অভিমন্যুয়ে। কৈফিয়ৎ ! এৰা, য'ত ভালপোৱা থাকে তাত কৈফিয়ৎ চাগে থাকিবই।

"হ'ব দে, bye।" কিয় জানো হাঁহি এটা ওলমি ৰৈছিল সন্ধ্যাৰ মুখত। কিয় বাৰু? প্ৰেৰণাক অভিমন্যুয়ে ভাল পালেই যেনিবা, তাইৰ কি হয় নো? হেই, কিনো ভাবিছে তাই। সেইটোক কোনোবাই ভাল পাই নেকি। মনলৈ অহা যাযাবৰী ভাৱবোৰ আঁতৰাই থ'লে তাই। বৰ আচৰিত এই মনটো।

এই সন্ধ্যাজনীও যে আৰু। ফোনটো কাটি সন্ধ্যাৰ কথাকে ভাবিলে অভিমন্যুয়ে। আনৰ দুখ যেন একেবাৰেই সহিব নোৱাৰে তাই। পৰা হ'লেতো গোটেই পৃথিৱীৰ পৰাই দুখ কষ্ট এইবোৰ নোহোৱা কৰি পেলালে হয়। তাইৰ এই আজলী স্বভাৱটোৱেই সকলোৱে ভাল পাই। আচৰিত মৰমৰ ভাণ্ডাৰ এই ছোৱালীজনী। কোমল মনটোৰ বাবেই পটকৈ খংটোও উঠে। সেইবাবেই সিও জোকাই তাইক। কথাবোৰ ভাবি ভাবি অনুৰণৰ ৰুমলৈ বুলি ওলাল অভিমন্যু। হয়, আজি মেমে অলপ বেছিকৈয়ে শুনালে তাক। অনুৰণৰ ঠাইত সি হোৱা হ'লে শান্ত হৈ যে সহ্য কৰিব পাৰিলে হেঁতেন আশা নাই। অনুৰণ

Kaushik

ল'ৰাটো সঁচাই শান্ত। সেই প্ৰথম লগ পোৱাৰে পৰা এতিয়ালৈকে একেটা ৰূপতেই দেখি আহিছে তাক অভিমন্যুয়ে সকলোতে। ক্লাছতে হওঁক, হোষ্টেলতে হওঁক। অৱশ্যে হোষ্টেলত অলপ কথা বতৰা পাতে বাৰু ক্লাছতকৈ। তাৰ মনত আছে। হোষ্টেলত অনুৰণ নিজেই তাৰ ৰূমলৈ আহি চিনাকি হৈছিল। ওখকৈ দেখাত গহীন যেন লগা ল'ৰাজনৰ লগত কথা পাতি ভাল লাগিছিল অভিমন্যুৰো। তাৰ ৰূমটো তলত। এই প্ৰকাণ্ড হোষ্টেলটোত ইফালৰ পৰা সিফাললৈ যাওঁতেই এযুগ লাগে। পাটকাই, ইউনিভাৰ্চিটীৰ আটাইতকৈ ডাঙৰ হোষ্টেল বুলিয়েই অভিমন্যুহঁতৰ গৰ্বও নথকা নহয়। অট্টালিকাৰ দৰে বৃহৎ হোষ্টেলটোক আৱৰি আছে গছবোৰে। তললৈ নামি আহোঁতে অভিমন্যুয়ে তাৰ বিশেষ কায়দাৰে চুঁচৰি আহি আছিল ষ্টেপত। তেনেতে কাৰোবাৰ গহীন মাত,

:"আৰু কৰচোন পাগলামি। পৰি লৈ মুখখন ভাগক।" ঘূৰি চাই দেখে দেৱাশীষ দা। একে জাঁপত আহি থিয় হ'ল হি অভিমন্যু। দেৱাশীষ বৰা। পাটকাইৰ প্ৰিফেক্ট। সকলোৰে চিনাকি দেৱা দা। গম্ভীৰ মাতৰ দাদা জনলৈ সকলোৱে ভয় কৰে। ইয়াত বেলেগৰ হোষ্টেলৰ দৰে ৰেগিং নহয়, গতিকে ছিনিয়ৰৰ লগত জুনিয়ৰৰ চিনাকিও কম। তাৰ মাজতো অভিমন্যুয়ে চিনাকি দাদা কেইজনক নিজেই মাত বোল কৰে। তেনেদৰে দেৱাশীষ দাহঁতেও তাক মৰমৰ লগতে শাসনো কৰে। বাহিৰে টানকৈ ক'লেও দেৱা দাৰ মনটো কোমল বুলি বুজে সি। সেইবাবেই দাদা জনক মানি চলে। এতিয়া ধমক খাইয়েই লগালগ চিধা হ'ল।

:"নাই দাদা। এনেই মানে।" ভয় ভয়কৈ ক'লে।

:"এনেই নহয়, ঘটনা হওঁতে বেছি সময় নালাগে। ভালকে খোজ কাঢ়ি যাব নোৱাৰ" গলগলীয়াকে কথা কেইটা কৈ আগবাঢ়িল দেৱাশীষ দা। অভিমন্যুও আঁতৰিল। এই যে শাসনৰ আঁৰত থকা মৰম আৰু চিন্তাবোৰ, এৰা ছিনিয়ৰৰ মাজতে সম্ভৱ।

অনুৰণৰ ৰূম পোৱাৰ কিছু আগত ময়ূঁৰৰ ৰূমটো। দুৱাৰখন আধাখোলা হৈ আছে। ইয়াকো লৈ যাওঁ বুলি সোমাওঁতে অভিমন্যুয়ে দেখিলে সি শুই আছে। কাণত তাৰ হেডফোন ডাল। খুলি আঁতৰাই থ'লে অভিমন্যুয়ে। বুকুত আধামেলা হৈ পৰি আছে এখন কিতাপ। অভিমন্যুয়ে চালে, অনুৰাধা শৰ্মা পূজাৰীৰ "হৃদয় এক বিজ্ঞাপন"। ইমান কিতাপ কেনেকৈ পঢ়ি থাকিব পাৰে এই ল'ৰাটোৱে। কিতাপখন জপাই টেবুলত থৈ দিলে সি। ফেনৰ বতাহত অলপ অলপকৈ উৰি আছিল ময়ূঁৰে বেৰত ওলোমাই ৰখা ম'ৰা পাখিটো। টেবুলখনত কেই পাহি মান বকুল। শুকান, কিন্তু গোন্ধটো যোৱা নাই। আচৰিত এই ল'ৰাটোৰ choice বোৰ। ম'ৰা পাখি, ফুল, উপন্যাস, গান এইবোৰৰ

Kaushik

মাজতেই যেন নিজক বান্ধি ৰাখে সি। দুৱাৰখন জপাই ময়ূঁৰৰ ৰুমৰ পৰা আহি এইবাৰ অনুৰণৰ ৰুম পালেগৈ অভিমন্যু। তাত দেখিলে সিহঁতৰ লগৰে বিশ্বজিতো আছিল। বিশ্বজিৎ বায়ন। যোৰহাটৰ ল'ৰা। কথাই বতৰাই ল'ৰাটো ভাল যদিও তাৰ অঁকৰা স্বভাৱটোৰ বাবে অভিমন্যুয়ে জোকাই খং উঠাই ভাল পায়। মুখখনেৰে সি কৰা সাতটা মান ভাঁজ চাব লগা হয়। বিশ্বজিতক দেখাৰ লগে লগেই অভিমন্যুয়ে তাৰ স্বভাবসুলভ হাঁহিটোৰে আৰম্ভ কৰিলে,

:"কি অ' বিশ্ব, আজি কালি হেনো নিমিষাই তোমাক পাত্তাই নিদিয়া হ'ল।" প্ৰথম ক্লাছ কৰা দিনাই বিশ্বজিতৰ চকুত নিমিষাক ভাল লাগিছিল। তাকেই লৈ তাৰ কত যে কল্পনা। বাকী কথা বাদ, সি মুঠতে লাভ এট ফাৰ্ষ্ট চাইড ফ'ল' কৰে। গতিকে তাৰ প্ৰেম হ'লেই। পিছে দুদিন নহওঁতেই এষাৰো কথা নপতাকৈ সেই প্ৰেম শেষো হ'ল। তাৰ পাছতেই চকুত পৰিল তৃষ্ণা। কিন্তু নাই, আগবেলা ভাল লগা তৃষ্ণাক পিছবেলালৈ বেয়া লগা হ'ল বিশ্বজিতৰ। এয়াই তাৰ কাহিনী। মুঠতে যদি হীৰু দাৰ মতে প্ৰেমে আৱৰণ খুলি হৃদয় জুৰাই, বিশ্বজিতৰ মতে প্ৰেম য'ত ত'ত যাৰ তাৰ লগতেই হৈ যায়।

"ইস, বেছি জানা নেকি তুমি, মই হে তাইৰ পা আঁতৰি আহিছোঁ। she is not my type।"

অভিমন্যুৰ কথাত মুখখন ফুলাই উত্তৰ দিলে বিশ্বজিতে। এইখিনিতে চেগ বুজি অভিমন্যুয়ে অনুৰণলৈ ইংগিত দিলে। মানে আৰম্ভ আজিৰ খেল। ইংগিত বুজি অনুৰণেও আৰম্ভ কৰিলে, "তয়ো ছোৱালীৰ পৰা আতঁৰিব পৰা হ'লি নে, ইমান বেয়া দিন আহিছে নে পৃথিৱীত?"

লগে লগেই হাঁহিত কঁপি উঠিল ৰুমটো। সাধাৰণতে সিহঁতৰ আড্ডাত এইটো এটা নিয়মৰ দৰেই। বিশ্বজিতক খং উঠাই সিহঁত আটাইকেইটাই ভাল ৰং চায়। এই ক্ষেত্ৰত অভিমন্যু সদায় আগত। ছোৱালীৰ ক্ষেত্ৰত যিহেতু বিশেষ দুৰ্বলতা আছে বিশ্বজিতৰ। সেইবাবে অভিমন্যুয়ে এইটো বিষয় লৈ তাক বেছি কৈ জোকাই। আজিও তেনে এটা আড্ডায়েই আৰম্ভ হোৱাত অনুৰণেও সহযোগ কৰিলে অভিমন্যুক।

"নিমিষাৰ নিচিনা ছোৱালী তোমালৈ পতিলে মই জীৱনত ব্ৰহ্মকুমাৰ ব্ৰত ল'ম বে।" অভিমন্যুৰ কথাত হাঁহিত ফাটি পৰিল অনুৰণ। আনফালে বিশ্বজিতৰ খঙত যেন অৱস্থা নাই।

Kaushik

"হ'ব, তুমি নিজেও নো কিডাল কৰিছা। সন্ধ্যাৰ লগত কাজিয়া লাগোতেই দিন যাব তোমাৰ" ভেঁকাহি মাৰি আহিল সি। সন্ধ্যা অভিমন্যুৰ কাজিয়া ক্লাছৰ চবৰে পৰিচিত কাহিনী এতিয়া।

:"সন্ধ্যাই আকৌ তোমাৰ কথা খুব সোধে দেই।" অনুৰণলৈ এটা চকু টিপ মাৰি বিশ্বজিতক কৈ উঠিল অভিমন্যুয়ে। তাৰ মুখখন যেন পোহৰ হৈ উঠিল,

:"সঁচা!! কি কি সোধে সন্ধ্যাই, কোৱা না।"

আহিব খোজা হাঁহিটো খুৱ কষ্টৰে লুকুৱাই অভিমন্যুয়ে ক'লে, "কৈছে আৰু যে বিশ্বজিত ল'ৰাটো সঁচাই বৰ ভাল। sweetness এটা আছে তাৰ।"

"Wow, really!!" সি যেন জঁপিয়াই উঠিব।

অভিমন্যুয়ে জানে, বিশ্বজিতৰ অন্তৰত প্ৰেমৰ ধুমুহা বলিবলৈ সেইখিনিয়েই যথেষ্ট।

"অলপ মানুহৰ নিচিনাকৈ থাকিবিচোন তই। সাতটা মান ভাঁজ কেলে কৰ।" তাৰ ভাঁজ দেখি দবিয়াই উঠিল অনুৰণে।

"তই চুপ। অ' অভিমন্যু কোৱা না, আৰু কি কি কয় বাৰু? মই তাইৰ লগত কথা পাতিম নেকি?" বিশ্বজিত যেন ৰ'বই পৰা নাই।

অভিমন্যুয়ে যিটো বিচাৰিছিল সেইটোৱে হ'ল। সন্ধ্যাক জোকাবলৈ ইয়াতকৈ ভাল উপায় কি আছে আৰু। এনেও বেছি তেল মৰা স্বভাৱৰ বাবে বিশ্বজিতক তাই দেখিব নোৱাৰে। এতিয়া যদি সি নিজেই উপযাচি তাইক কামোৰ দিয়ে তেন্তে আৰু চাবলগীয়া হ'ব।

"তুমি এটা কাম কৰা, আজি evening তাইক coffee খাবলৈ লগ ধৰা। তেতিয়া হে তোমালোকে space পাবা।" বুজনিৰ সুৰত ক'লে অভিমন্যুয়ে।

"Yess, মই তাইক কফি খোৱাব লৈ যাম। তাতে অলপ time থাকি আহি নিৰিবিলিত বহিম।" সপোনৰ ৰাজ্যত যেন ঘূৰিব লৈছে বিশ্বজিত।

"এতিয়া অলপ শুই ল গে যা। নহ'লে টোপনি আহিব নিৰিবিলিত।" হাঁহিবোৰ লুকুৱাব নোৱাৰি তাক পঠোৱাৰ বুদ্ধি কৰি ক'লে অনুৰণে। সি ওলাই যোৱাৰ পাছত মন খুলি হাঁহিলে দুয়োটাই।

Kaushik

"কেলে এনেকুৱা বাৰু তুমি, ক'ত পোৱা এইবোৰ idea?" হাঁহি হাঁহি অভিমন্যুক সুধিলে অনুৰণে।

"আৰে এতিয়া চোৱা খেল খন। বেটাৰ ছোৱালী দেখিলেই প্ৰেম হয়। আচল জনীৰ পাল্লাত পৰিছে এইবাৰ।" গৰ্বৰ হাঁহিৰে কলে অভিমন্যুয়ে।

"সন্ধ্যাই গম পালে সুদাই এৰিব নে তোমাক?"

"না না একদম নক'বা তাইক। অলপ খাওক কামোৰ।" কৈ কৈ ৰুমৰ পৰা ওলাই আহিল অভিমন্যু সফল মন এটা লৈ।

লেপটপটোত এনেই youtube খুচৰি আছিল সন্ধ্যাই। ইয়াত এই wifi ৰ সুবিধাটোৱেই আটাইতকৈ ভাল। ফ্ৰী wifi পাই তাইৰ দৰে বহুতেই কেতিয়াবা গোটেই দিনটোৱেই পাৰ কৰি দিয়ে youtube ৰ জগতত।

এনেতে অচিনাকি নম্বৰ এটাৰ পৰা মেচেজ আহিল সন্ধ্যাৰ মোবাইল লৈ।

"Hi Sandhya, ki khobor?"

কাৰ নম্বৰ হ'ব পাৰে বাৰু। অচিনাকি আছিল যদিও reply দিলে সন্ধ্যাই,

"Who's this?"

"Your secret Lover"

খং টো উঠি আহিছিল সন্ধ্যাৰ। কথা নাই বতৰা নাই lover। বলিয়া নেকি।

"Can u tell me ur name plz?" আকৌ দিলে তাই।

"Kaushik" সিফালৰ পৰা উত্তৰ আহিল।

কৌশিক?? কোন এই কৌশিক!! আগতে চোন নাম শুনা মনত নপৰে। কোন বাৰু??

(আগলৈ)

#নিৰিবিলি

Part 12

Kaushik

"কৌশিক"; আজিলৈকেতো শুনা নাই নাম। নে ক'ৰবাত লগ পাইছে নেকি। সন্ধ্যাই মনত পেলাবলৈ চেষ্টা কৰিলে। নাই, ইয়াত অহাৰ পৰা কৌশিক নামৰ কাকো লগ পোৱা নাই তাই। কথাবোৰ ভাবি থাকোতেই আকৌ মেচেজ আহিল,

"Eman sinta nokoriba baby, will meet you soon."

বেবী?? এই লৰাটো পাগল নে কি বাৰু। চিনা নাই জনা নাই এনেকে কথা পাতে নেকি। নম্বৰটো চেভ কৰি whatsapp ত চালে তাই। নাই whatsapp ত নাই। এইবাৰ ফোন কৰি চালে। নাই, ৰিচিভ নকৰে। কোন হ'ব পাৰে বাৰু? চিনাকি নেকি কোনোবা? নে তাইৰ লগত কোনোবাই prank কৰিছে? সিদিনা কাশ্যপীৰ মোবাইলৰ পৰা যেনেকৈ তাই কৰিছিল। কথাটো মনত পৰি হাঁহি উঠিল তাইৰ। কাশ্যপী মহন্ত। সোৱণশিৰীৰ আটাইতকৈ উৎপতিয়া প্ৰাণীটো। তাই ৰীণা বাৰ ৰুমমেট। দুইজনী যে খুব ভাল মিলিছে। সিহঁতৰ ৰুমৰ পৰা তললৈ মানে essential পাৰ হৈ নিৰিবিলিলৈ যোৱাৰ ৰাস্তাটো দেখি থাকি। গতিকে দুইজনীয়ে কৰে কি, সেইফালেৰে সন্ধিয়া ওলাই যোৱা ল'ৰা ছোৱালী যোৰা বোৰক চিঞৰি জোকাই থাকে। প্ৰিফেক্ট দীপা বাই কত দিন যে গালি দিলে বোলে কেতিয়াবা কমপ্লেইন আহিলে ৱাৰ্ডেনৰ আগত নবচাওঁ কিন্তু। কিন্তু নাই। আমাৰ মহাৰাণীহঁতে ল'ৰা জোকাবই। সিদিনা নিবিচৰাকৈয়ে সন্ধ্যাও সোমাবলগীয়া হৈছিল সিহঁতৰ এই কাণ্ডত। বিদিশাই ৰীণাৰ পৰা পানী গৰম কৰা কেটলিটো আনিবলৈ পঠাইছিল সন্ধ্যাক। ৰুমটোৰ ওচৰ পাইয়ে আচৰিত হৈছিল তাই। সুঁহুৰি আৰু দীঘলীয়া চিঞৰ।

:"জান অ' হাতখন ভালকে ধৰা। এৰি দৌৰ মাৰিব নহ'লে।" লগে লগেই এজাউৰি হাঁহি।

সন্ধ্যাই ৰুমত সোমাই দেখে কাশ্যপী আৰু ৰীণা বাই আগভাগ লোৱা সেই কাৰ্যসূচীত অনামিকা, কংকনা, মৰমীহঁতেও খুব মজা লৈছে। তাইক দেখিয়েই কাশ্যপীয়ে টানি বিচনাত উঠাই খিৰিকীখনৰ ওচৰলৈ লৈ গ'ল। সিহঁতে ৰুমটোও এনেকৈ সজাই লৈছে যাতে বিচনাত বহিয়েই খিৰিকীৰ সিপাৰলৈ চাই চাই চিঞৰিব পাৰে। সন্ধ্যাই যিমানেই "মই নকৰোঁ এই চব" বুলি আঁতৰি আহিবলৈ চাই, সিমানেই গোটেই কেইজনীয়ে টানি টানি ৰখায়। অগত্যা সন্ধ্যাই সেই দলত যোগ হ'ল। তেনেতে কোনোবা ল'ৰা এটাই ৰাস্তাটোত ৰৈ সিহঁতৰ হোষ্টেলৰ ফালে ডিঙি মেলি চাবলৈ লাগিল।

:"কি অসভ্য ঔ, গাৰ্লচ হোষ্টেললৈ কেনেকৈ জুমিছে চা।" কংকনাই কৈছিল।

Kaushik

:"কিনো চাঁৰনিৰে চালা মোলৈ দেহা সিৰসিৰাই গ'ল মইনাজান ঐ" কাশ্যপীয়ে সুৰ লগাই চিঞৰিলে। ভাবিছিল ল'ৰাটো লাজতে আঁতৰি যাব। কিন্তু সিও ওলোটাই চিঞৰিলে,

:"পেটলৈ ভাত নোযোৱা হ'ল।"

ওলোটাই কৈ দিয়াত সিহঁতেও যেন কোঁচ খাই গ'ল। কাৰণ সাধাৰণতে তেনেদৰে উত্তৰ নিদিয়ে কোনেও। তেনেতে সন্ধ্যাই ৰ'ব নোৱাৰি চিঞৰি উঠিছিল,

:"গেছ হৈছে নেকি? টেবলেট লাগিব?"

আটাইকেইজনীৰ হাঁহিত কঁপি উঠিছিল গোটেই ৰুমটো। এইবাৰ আৰু ল'ৰাটো নৰ'ল। কোবাকুবিকৈ নিৰিবিলিৰ ফালে খোজ ল'লে। লগে লগেই আকৌ হাঁহিৰ জোৱাৰ।

:"সন্ধ্যা ৰাগিনী, তুমি চোন chupa rustam ওলালা" বুলি তাইক সাৱটিয়েই যেন ধৰিছিল কাশ্যপীয়ে। ক'ব নোৱাৰাকৈ সন্ধ্যায়ো সেই "ল'ৰা জোকোৱা" গেঙত সোমাই পৰিছিল।

আকৌ এদিন তেনেকুৱা আড্ডাতেই কাশ্যপীয়ে idea দিলে কাৰোবালৈ prank call কৰোঁ। কালৈ কৰিব ভাবি নাপাই শেষত ময়ূঁৰৰ নম্বৰকে লগাইছিল। কৰোঁ বুলি ভাবিও অভিমন্যুলৈ নকৰিলে তাই। ছোৱালীৰ নম্বৰ বুলি গম পালে সি যে ওলোটাই কামোৰ দিব তাইও জানে। কাশ্যপীয়ে বেচেৰা ময়ূঁৰটোক কম খন কামোৰ দিলে নে? "মই তোমাৰ ময়ূঁৰী হ'ব খোজো" বুলি আৰম্ভ কৰি আধা ঘণ্টা মান লাগিয়েই আছিল।

কিন্তু ময়ূঁৰে prank call কৰিব জানো তাইলৈ? নাই নাই। সি তেনেকুৱা নহয়। তেন্তে কৌশিক কোন বাৰু?

বাদ দে, ভাবি লাভ নাই বুলি মোবাইলটো থৈ শুবলৈ লৈছিল তাই। অলপ সময়ৰ পাছত আকৌ মোবাইলটো বাজি উঠিল। সিহঁতৰ ক্লাছৰে বিশ্বজিতে ফোন কৰিছে। ল'ৰাটোক তাই চিনি পাই, কিন্তু কথা বতৰা তেনেকৈ পতা নহয়। ইয়াৰ বা কি হ'ল আকৌ বুলি ফোনটো ৰিচিভ কৰিলে তাই। স্বভাবসুলভ হাঁহিৰে বিশ্বজিতে আৰম্ভ কৰিলে,

:"hi সন্ধ্যা, কি কৰিছা, busy আছিলা নেকি?"

:"নাই, আছোঁ এনেই। কোৱা চোন।" ক'লে তাই।

Kaushik

:"তুমি যে ফেছাৰ্চত গানটো গাইছিলা, ইমান ধুনীয়া আছিল জানা নে, ৰেকৰ্ডিং আছে যদি দিবা না" মাতত তেলৰ যে কি অত্যাধিক পয়োভৰ। ইমান দিন পাৰ হোৱাৰ পাছত হে সময় পালে সি।

:"Thank you" বিৰক্তিৰে ক'লে সন্ধ্যাই। বৰ তেলীয়াব পাৰে এই বিশ্বজিত টোৱে।

:"By the way, আজি evening ফ্ৰী আছা নেকি?" সোধোঁ নোসোধোকৈ সুধিলে সি।

:"আছোঁ। কিয়?" কি হ'ল ইয়াৰ। ইমান কথা সুধি আছে যে আজি।

:"নহয় মানে ওলাবা নহলে KF ত এক কাপ কফি খাই আহিম। তুমি আৰু মই।"

সন্ধ্যাৰ যেন মূৰটো গৰম হৈ আহিছিল লাহে লাহে। কি কয় মানে ই। আজি লেকে এনেকৈ তাইক অভিমন্যুয়েও নিজে লগ ধৰি পোৱা নাই, আৰু এই বিশ্বজিত!! যাৰ লগত তাই আজি লেকে hi/hlw বাহিৰে একো কথা ভাল কৈ পাতিয়েই পোৱা নাই। সি লগ ধৰিছে কফি খাবলৈ, তাকো KF ত।

KF। তেজপুৰ বিশ্ববিদ্যালয়ত ইঞ্জিনিয়াৰিং department ৰ (SOE) ফালে এখন open ৰেস্তোৰাঁ আছে। কেফেটেৰিয়াৰ দৰেই ভাতৰ পৰা ফাষ্ট ফুডলৈকে সকলো পাই যদিও কেফেটেৰিয়াতকৈ যথেষ্ট ডাঙৰ সেইখন। তাৰ সমুখতে সৰু ফিল্ড এখন। ৰেস্তোঁৰাখন খোলা বাবে গোটেই ফিল্ডখন দেখি থাকি। আৰু বতাহজাকো গোটেই দিনটোয়েই বলি থাকে। SOE ৰ চাৰিওফালে সেউজীয়াৰ মাজত আছে KF। নিৰিবিলিৰ সমুখৰ VC ৰ বঙলাটো পাৰ হৈয়ে Guest house টো। তাৰ পাছতেই Commerce department। তাৰ পৰা অলপ আগবাঢ়িলেই ওখ ওখ গছবোৰ পাৰ হৈ ইঞ্জিনিয়াৰিঙৰ ডিপাৰ্টমেন্টবোৰ। সেইবোৰৰ সমুখতেই আছে KF। দিনটো কৰ্মাৰ্চ আৰু ইঞ্জিনিয়াৰিঙৰ ষ্টুডেন্টবোৰেই বেছিকৈ তাত থাকে যদিও সন্ধিয়া হোৱাৰ লগে লগে SOE ৰ এলেকাটো কিছু বেলেগ হৈ পৰে। যেন দ্বিতীয় বৃন্দাবন। চাৰিওফালে যেন যুৰীয়া শালিকা। নিজৰ প্ৰিয়জনৰ লগত দিনটোৰ ব্যস্ততাৰ শেষত কিছু সময় নিৰ্জনতাৰ মাজত কটাবৰ বাবেই সকলোৱে চাগে বাছি লয় সেই ঠাইখিনি। সঁচাকৈ, ব্যস্ততাৰ ফেৰেঙনিত দিনটোৰ কথাবোৰ কৈ জীৱনটো সজাবলৈ যাৰ কাষত কোনো বিশেষ এজন থাকে তেওঁতকৈ সুখী আৰু কোন হ'ব পাৰে। তেনে প্ৰেমিক পক্ষীৰেই চৰণীয়া পথাৰ হৈ পৰে সন্ধিয়াৰ SOE। ইয়াৰোপৰি, কোনোৱে যদি এদিনীয়া চিনাকিৰে সম্পৰ্কৰ আৰম্ভণি কৰিবলৈও SOE ৰ ৰাস্তাৰে যায়, কোনোজনে হয়তো অকলেই সেই ছাঁ পোহৰৰ মাজত নিজক বিচাৰি পায়। মুঠতে সন্ধিয়া SOE ৰ ফালে এপাক মাৰিলে বিভিন্ন কাহিনীৰ পয়োভৰ দেখা যায়। দুই একে

Kaushik

evening walk তো সেইফালে যায় যদিও সংখ্যা তেনেই নগণ্য। গতিকে SOE ৰ সেইফালে কিছু আচহুৱা বাবে সন্ধ্যাহঁতৰ তেনেকৈ যোৱা নহয়েই। লাহে লাহে কথাবোৰেই এনেকুৱা হৈছে যে SOE ফালে যাবা নেকি বুলি সোধা মানেই Date ৰ বাবে proposal দিয়াৰ দৰে কথা। তেনেক্ষেত্রত এই বিশ্বজিতে কি সাহসত তাইক লগ ধৰিলে তালৈ। একাষাৰে নাযাওঁ বুলি কৈ ফোনটো কাটি দিবলৈ মন গৈছিল যদিও কথাটো বেয়া হ'ব বুলি ভাবিয়েই তাই ক'লে,

"মোৰ লাইব্রেৰী যাব লগা আছে। নোৱাৰিম যাব। বেয়া নাপাবা দেই। bye" তাক আৰু একো ক'বৰ সুযোগ নিদি ফোনটো কাটি দিলে তাই। কাইলৈ অভিক ক'ব লাগিব। সিয়েই ভাল কৈ দিব ইয়াক। সিহঁতৰ হোষ্টেলৰে হে। ইমান সাহ তাৰ। ভাবি ভাবিয়েই বিচনাত পৰিল সন্ধ্যা।

এইফালে বিশ্বজিতে সন্ধ্যাৰ লগত কি পাতিলে তাক জানিবলৈ উৎসুক হৈ আছিল অভিমন্যু। মনে মনে হাঁহিও উঠি আছিল তাৰ। বেচেৰী সন্ধ্যা!! শেষত মনটো দমাব নোৱাৰি সি উঠি আহিল বিশ্বজিতৰ ৰুমলৈ।

:"এই ছোৱালী মানেই মায়া বুজিছা বিশ্ব অকল মায়া।" কথা খিনি কৈ কৈ তাৰ ৰুমলৈ সোমাই আহিল অভিমন্যু। এইফালে ভবা মতে প্লেনটো নোহোৱাত বিশ্বৰ ট্রেজেদী চলিয়েই আছিল।

:"কিয়, তোমাৰ কি হ'ল আকৌ।" অভিমন্যুৰ কথা শুনি সুধিলে সি।

:"নাই, এনেই ক'লো আৰু, মোৰ নো কি হ'ব। বাকী কোৱা সন্ধ্যাৰ লগত date ফিক্স হ'ল নাই তোমাৰ?"

:"নাই অ'। নাযাওঁ ক'লে তাই। লাইব্রেৰী যাব হেনো।" দুখ মনেৰে উত্তৰ দিলে সি।

ঠিকেই অনুমান কৰিছিল অভিমন্যুয়ে। আজিৰ পৰা লাইব্রেৰীত পঢ়াৰ কথা সিয়েই কৈছিল তাইক। তাৰ লগতেই যোৱাৰ কথা। সন্ধ্যাৰ অৱস্থাটোৰ কথা ভাবি মনতে হাঁহি উঠিল তাৰ। কিন্তু কাহিনীত আৰু অলপ twist আহক বুলি বিশ্বজিতক বুজাবলৈ লাগিল,

:"আৰে তুমি বুজা নাই। তাই indirectly তোমাক ইংগিত দিছে যে তাই লাইব্রেৰী যাব। গতিকে তাতে লগ পাব আকৌ। তুমি যোৱা লাইব্রেৰী, লগ কৰা। আৰু এনেকুৱা behave কৰিবা যেন তুমি coincidenly হে লগ পাইছা।"

Kaushik

আকৌ যেন পোহৰ হৈ উঠিল বিশ্বজিতৰ মুখখন,

:"Wow, you are the great। সঁচাই ইংগিত দিলে নেকি বাৰু তাই! মই যে বুজাই নাছিলোঁ পাই। যাম মই। আৰু যেতিয়া তাই কিতাপ লৈ আনিব মই নেদেখাকৈ এটা খুন্দা মাৰিম। কিতাপ খন পৰি যাব। আৰু মই ক'ম sorry। তাই ক'ব its ok। তাৰ পাছত আমি একাপ কফি খাম। আৰু তাৰ পাছত....."

সুদা মুখতে অভিমন্যুয়ে হঠাৎ চৰ্চৰণি খাই উঠিল। বেচেৰাই হ'ল বুলি কিমান সময় হাঁহি ৰখাব আৰু। তাৰ অৱস্থা দেখি বিশ্বজিতে সুধিলে,

:"কি হ'ল, ঠিকে আছা নে?"

:"ও একো নাই। তুমি যাবা। কি হ'ল ক'বাহি ৰাতি" বুলি লৰালৰিকৈ ওলাই আহিল অভিমন্যু। বাহিৰে অনুৰণৰ ৰুমত সোমাল সি। কাহিনীত ইমান ধুনীয়া twist আহিবলৈ গৈ আছে, সি নাজানিলে কেনেকৈ হ'ব। কিছু সময়ৰ পাছত হাঁহিৰ জোৱাৰ ভাঁহি আহিছিল অনুৰণৰ ৰুমৰ পৰা।

কিছু সময় পাৰ হ'ল। সন্ধ্যা শুই আছিল। হঠাৎ ফোনটো বাজি উঠাত চাই দেখিলে অভিমন্যুৰ ফোন।

:"অ অভি, ক।" টোপনিৰ জালতে মাত লগালে তাই।

:"ঐ শুন, মই আজি লাইব্ৰেৰী যাব নোৱাৰিম তোৰ লগত।"

মাথাটো গৰম হৈ গ'ল সন্ধ্যাৰ। কিয় এনেকুৱা এই ল'ৰাটো। exam পালেহি কাৰণে নিজেই কৈছিল যে আজি লাইব্ৰেৰী যাব, আৰু এতিয়া এইয়া। খঙত একে উশাহতে কৈ উঠিল তাই,

:"কিয়, কি হ'ল আকৌ তোৰ। বুজিছোঁ প্ৰেৰণাৰ লগত date ত যাবি চাগে নহয়? মোৰ লগত যাবলে time ক'ত হ'ব তোৰ। যা যা যাৰ লগত যাব যা। bye"

:"আৰে চুপ। ইমান কেনেকৈ বকিব পাৰ বে।" চিঞৰি উঠিল অভিমন্যুয়ে।

:"নবকি কি কৰিম, মোৰ লগত যাম বুলি এতিয়া বেলেগৰ লগত...." মুখখন যেন ফুলি উঠিছিল তাইৰ।

:"নাযাওঁ অ মই কাৰো লগত। আজি খেল আছে, মই পাহৰি গৈছিলোঁ। so খেল চাব লাগিব। কোহলীৰ বেটিং এৰিব পাৰিম জানো মই?" সন্ধ্যাৰ কথাৰ মাজতে ক'লে সি।

Kaushik

:"Oh, তাকে নো নকৰ কিয়। কোহলীৰ খেল আছে যেতিয়া আৰু মোক ক'ত পাত্তা দিবি।" তেতিয়াহে যেন শান্ত হ'ল সন্ধ্যা।

:"Yes, Cricket is my life বুইছ। এতিয়া bye.." ফোনটো কাটি দিলে সি।

সন্ধ্যাই জানে ক্রিকেট বুলিলেই পাগল অভিমন্যু। কেতিয়াবা ৰাস্তাৰে খোজকাঢ়ি গৈ থাকোঁতেও দৌৰ এটা মাৰি বলিং কৰিবলৈহে যেন লয়। তাইৰ খং উঠে। "বলিয়ামি কিয় কৰ ৰাস্তাৰ মাজত?" সন্ধ্যাৰ কথাত তাৰ বিশেষ সুৰটোৰে কয় সি, "লাক বেয়া বুইছ, ঘৰত নিদিলে। নহ'লে কোহলীৰ লগত আজি এই অভিমন্যু শৰ্মা থাকিল হেঁতেন।" হাঁহি হাঁহি সন্ধ্যাইও কয়, "Indiaৰ লাক ভাল। নহ'লে বৰ বেয়াকৈ হাৰিলে হেঁতেন।" বিৰাট কোহলীৰ আজন্ম পূজাৰী যেন সি। পাগলটো !! এইটো নাযায় যেতিয়া প্ৰিয়াকেই লগ ধৰিব লাগিব আৰু। ভাবিলে সন্ধ্যাই।

অভিমন্যুৰ লগত কাজিয়া লাগোতে roommate বিদিশাৰ উপস্থিতি একেবাৰেই পাহৰি গৈছিল সন্ধ্যাই। এতিয়া ফোনটো থোৱাৰ পাছত বিদিশাই হাঁহি থকা দেখি হে লাজ লাগিল তাইৰ।

:"কি হ'ল, অভিমন্যু বেলেগৰ লগত যাব বুলি ইমান খং নে" বিদিশাই সুধিলে।

"নাই বা। নহয় মানে..."

:"ঠিক নাই দেই। এনেকৈয়ে পাছত প্ৰেমৰ জালত সোমাবাগৈ।"

:"প্ৰেম? তাকো সেই পাগলটোৰ লগত? NO way বা, কি যে কোৱা আৰু।" চিঞৰি উঠিল সন্ধ্যা।

:"হ'ব হ'ব বাৰু।" বুলি হাঁহি হাঁহি ওলাই গ'ল বিদিশা।

বিচনাত পৰি অকলশৰে সন্ধ্যাই ভাবিবলৈ লাগিল অভিমন্যু বেলেগৰ লগত যোৱাৰ কথা ভাবি তাইৰ কিয় ইমান খং উঠিছিল বাৰু। কৰিডৰত বিদিশাই সন্ধ্যাই শুনাকৈ চিঞৰি গৈছিল হিয়া দিয়া নিয়াৰ জনপ্ৰিয় গীত এটিৰ কলিটো,

"সকলো এৰি মোকেই বাছি লোৱা,

যৌৱন বাগৰিলে উভতি হ'ম নোচোৱা,

মৰম মৰম বুলি তেতিয়া কান্দি ৰ'বা..

Kaushik

তানা না না না না......"

(আগলৈ)

#নিৰিবিলি

Part 13

:"সন্ধ্যা, তোৰ হ'ল নে?"

বাহিৰৰ পৰাই চিঞৰি চিঞৰি সন্ধ্যাৰ ৰুম ওলালহি প্ৰিয়া। অভিমন্যু নাযায় বাবে প্ৰিয়াকে লাইব্ৰেৰী লৈ লগ ধৰি থৈছিল সন্ধ্যাই। পিছে সন্ধ্যাৰ ওলাওঁতে দেৰি হোৱাৰ বাবে প্ৰিয়া তাইৰ ৰুম পালেহি। সন্ধ্যাৰ এই স্বভাৱটো যে কেতিয়া সলনি হব আৰু। কৰবালৈ যাবলৈ ওলালে সদায় দেৰি। আচলতে তাই নভবাকৈয়ে কিবাকিবি কামত দেৰিহৈ যায়। প্ৰিয়া আহি পোৱাত লৰালৰিকৈ ওলাল সন্ধ্যা। বিদিশাক মাত লগাই ওলাই গল লাইব্ৰেৰী লৈ।

:"ঐ, মই shop comত কিবা এটা খাই যাম হা।" গৈ থাকোঁতেই প্ৰিয়াক কলে সন্ধ্যাই।

:"এনেই দেৰি হৈছে, তোৰ আকৌ খাবলৈ আছেই। নালাগে, পাছত খাবি বল। মণিকা বায়ে কৈছে examৰ সময়ত লাইব্ৰেৰীত বহুত ভিৰ হয় বোলে, ছিটেই নাপায়।" প্ৰিয়াই খৰকৈ খোজ দি দি কৈ গৈছে।

:"হেই এইজনী, মোৰ সঁচাকৈ ভোক লাগিছে অ', বুজ না।" সৰু ছোৱালীৰ দৰে থেনথেন কৰিব ধৰিলে সন্ধ্যাই।

:"উফ্, হ'ব দে। মই ছিট ৰাখিম গে, তই কিবা এটা খাই পটককৈ আহি যাবি।" তাই মান্তি হ'ল।

অৱশ্যে প্ৰিয়াৰ কথা মিছাও নহয়। পৰীক্ষা নাথাকিলে লাইব্ৰেৰীটো যেন ভূত বঙলাৰ নিচিনা হৈ পৰে। মানুহ খুব বেছি দুই এটা। কিন্তু পৰীক্ষাৰ কেইদিন যেন বিনা আয়োজনেই উৎসৱ হৈ যায় লাইব্ৰেৰীত। আনকি প্ৰেমিক পক্ষীবোৰেও নিৰিবিলি এৰি প্ৰিয়জনৰ লগত লাইব্ৰেৰীতেই সন্ধিয়াটো কটায়হি। প্ৰিয়াক লাইব্ৰেৰীত ছিট ৰাখিবলৈ পঠিয়াই সন্ধ্যা shopping complex লৈ সোমাই গ'ল। লক্ষ্য momoৰ দোকান। shop comত সোমায়েই মুখতে momoৰ দোকানখন। তাৰ কাষতেই ফুচকা আৰু শাক পাচলিৰ দোকান কেইখনো আছে আৰু একেবাৰে মূৰত এখন সৰু জুচৰ দোকান। সেইবোৰৰ

Kaushik

বাওঁফালে হে কৰিডৰেদি কিতাপ, জেৰক্স আদিৰ দোকানবোৰ। ইয়ালৈ অহাৰ আগত সন্ধ্যাই momo তেনেকৈ ইমান ভালপোৱা নাছিল যদিও ইয়াত আহি বিদিশা বাৰ লগত খাই খাই তাই momoৰ প্ৰেমিকা হৈ গৈছে। তাতে shop com ৰ momo ৰ সোৱাদ তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰত্যেকজন student য়েই জানে। লগতে যে ইয়াৰ গৰম গৰম চুপটো। ইচ্। সন্ধ্যাই যে কেতিয়াবা দহ টকা দি সুদাকৈয়ে খায়।

:"খুৰা, এক প্লেট চিকেন momo দিব।"

বিছ টকা দুখন আগবঢ়াই দি দোকানখনৰ বয়সস্থ মালিকজনক ক'লে সন্ধ্যাই। তেওঁ দিয়া momoৰ প্লেটখনত চচটো লৈ কৰিডৰটোৰ সমুখৰ খালী ঠাইখিনিলৈ আগবাঢ়িছিল তাই। চাৰিওফালে সকলো মানুহেই ভৰি আছে। চিনাকি অচিনাকী বহু মুখ। কাৰোবাৰ হাতত momo, কাৰোবাৰ হাতত ফুচকা, কাৰোবাৰ তাত আকৌ বজাৰৰ টোপোলা, কাৰোবাৰ তাত নেমু পানীৰ গিলাছ। খোৱাৰ লগে লগে কথাৰ মহলা। মাজে মাজে এটা দুটা হাঁহিৰ জোৱাৰ। দিনটোৰ ব্যস্ততাবোৰ যেন আজুৰি পেলাইছে সকলোৱে। সঁচাকৈ, TU ৰ এই কেম্পাছটোত যেন এক বেলেগ প্ৰাণ আছে। মাদকতা আছে।

"ভৌ, ভৌ"

সন্ধ্যা বহিবলৈ আগুৱাই যাওঁতেই হঠাত কুকুৰ এটাই আগছি ধৰিলে। ইয়াত কুকুৰ বহুত বেছি। বিশেষকৈ shopping complex ত যে কুকুৰৰ ভিৰ আৰু বেছি। সকলোৱে মৰমতে কিবা কিবি খাবলৈ দিয়ে বাবেই হ'বলা। সন্ধ্যাইও কুকুৰ ভাল পাই, কিন্তু আঁতৰৰ পৰাহে। ভৌ ভৌকৈ ওচৰলৈ আহিলে তাইৰ চোন কিবা ভয় লাগি আহে। কুকুৰটো দেখি তাই ভয় খাই দুখোজ পিছুৱাই গ'ল। তাই ভয় খোৱাৰ বাবেই হ'বলা কুকুৰটোও আগুৱাই আহিল। সন্ধ্যা আকৌ দুখোজ পিছুৱালে। বহিবলৈ লোৱা ঠাইখিনিৰ সমুখত থকা ওখোৰা মোখোৰা খিনিত তাই ঠিক উজুটি খাবলৈ লৈছিলেই। তেনেতে,

:"ঐ, অলপ ভালকৈ।"

কাৰোবাৰ এটা চিনাকি শান্ত মাত। যেন তাইৰ কাণৰ কাষতে কৈছে। ল'ৰাজনৰ এটা হাত সন্ধ্যাৰ বাহুত আৰু আনটো হাত তাই সিখন হাতত লোৱা প্লেটখনত। পিছফালৰ পৰা প্ৰায় সাৱটি ধৰাৰ দৰে দুয়োখন হাতেৰে আচৰিত কায়দাৰে ৰখাইছিল সি তাইক। কুকুৰটোও হঠাত কাৰোবাক দেখি অলপ বৈ আঁতৰিল। সন্ধ্যাই তেতিয়াহে ঘূৰি চালে। ক'লা ৰঙৰ স্পৰ্টিংটো পিন্ধি তাইৰ পিছফালে সেইটো অনুৰণ। বুকুৰ স্পন্দন হঠাৎ বুজাব নোৱাৰাকৈ বাঢ়িছিল সন্ধ্যাৰ। ফিৰফিৰিয়া বতাহজাকত shopping complexৰ

Kaushik

সমুখৰ গোলাপ জোপাৰ পৰা যেন এটি পাহি সৰি পৰিছিল। কি ক'ব সন্ধ্যাই? ক'তা, তাই চোন মূৰেই তুলিব পৰা নাই। গাটো অলপকৈ কঁপিয়েই আছে। কাৰোবাৰ পৰশো ইমান আলফুল হ'ব পাৰে নে?

:"ইমান ভয় কৰা নে কুকুৰলৈ?" প্ৰথমে অনুৰণেই আৰম্ভ কৰিলে।

:"নহয় মানে, ঘপকৈ আগত ওলাল যে।" তাই ক'লে। এইবাৰ আগুৱাই গৈ খালী ঠাইখিনিত বহিল তাই। কাষতে অনুৰণো। কিছু সহজ হৈছিল সন্ধ্যা।

:"তুমি কিবা কিনিবলৈ আহিলা?" তাৰ হাতত টোপোলা এটা দেখি সুধিলে তাই।

:"অঁ, এই ব্ৰেড অলপ।" তাৰ সৰু উত্তৰ।

:"লোৱা এটা।" momoৰ প্লেটখন আগুৱাই দি সন্ধ্যাই ক'লে।

:"নাই, খোৱা তুমি। মই momo ভাল নাপাওঁ।"

:"কি ভাল পোৱা নো তুমি? Community hallৰ প্ৰগ্ৰেম বেয়া পোৱা, মানুহৰ লগত কথা পাতি বেয়া পোৱা, momo বেয়া পোৱা। ভাল কি পোৱা বাৰু?" আগতকৈ বহুখিনি সহজ হৈ অনৰ্গল কৈ গৈছে সন্ধ্যাই। আকৌ সেই ফিৰফিৰিয়া বতাহজাক। সন্ধ্যাই মেলা চুলিখিনিৰ দুই এডালে আহি যেন চকুৰ পাহি কেইটিক জোকাইছেহি। অনুৰণে একো নকৈ মাত্ৰ তাইলৈ চাই আছিল।

:"একো নক'লা যে?" Momo খাই খায়েই সন্ধ্যাই আকৌ সুধিলে।

:"নাই, ক'ম দিয়া কেতিয়াবা মই কি ভাল পাওঁ।" সন্ধ্যাৰ পৰা চকু আঁতৰাই আনি ক'লে সি।

:"হৈছে আৰু তুমি কোৱালে।" বুলি হাঁহি উঠিল সন্ধ্যাই।

আঁতৰি যোৱা কুকুৰটো এখোজ দুখোজকৈ আকৌ আহিল। সন্ধ্যাৰো মৰম লাগিল। শেষৰ momo টো তাই আগবঢ়াই দিলে তালৈ। সিও লৈ খাবলৈ লাগিল। তাই মূৰত হাত ফুৰাই দিলে।

:"অলপ আগত ভয় কৰি এতিয়া খোৱাইও দিছা চোন।" অনুৰণে অলপ হঁহাৰ দৰে কৰি সুধিলে।

Kaushik

:"এতিয়া কাষত তুমি আছা যে, ভয় নাই লগা।" ক'ব নোৱাৰাকৈয়ে মুখৰ পৰা ওলাল সন্ধ্যাৰ। কিয় ক'লে বাৰু তাই? সঁচাকৈ অনুৰণৰ সান্নিধ্যত সাহস পাইছিল নেকি তাই?

:"এতিয়া হোষ্টেল যাবা নে?" খিয় হৈ সুধিলে সি।

:"নাই, লাইব্ৰেৰী যাওঁ। প্ৰিয়া তাতে আছে।"

:"ঠিকে আছে। মই আহোঁ তেন্তে।" shopping complexৰ পৰা ওলাই আহিল সিহঁত। সন্ধ্যা আগুৱাই গ'ল লাইব্ৰেৰীৰ ফালে।

আজি অলপ নোটছ গোটাব লাগিব। মোবাইল নহ'লে লেপটপৰ pdf চাই তাই পঢ়িব নোৱাৰে। ইফালে স্কুলৰ পৰা higher secondary লৈকে তাইৰ অসমীয়া মাধ্যমৰ আছিল। গতিকে এতিয়া আহিয়েই englishত তাই অলপ অসুবিধাও পাইছে। সেইমতে কষ্টও কৰিব লাগিব যথেষ্ট। লাইব্ৰেৰীৰ সমুখত ৰ'লগৈ তাই। তেজপুৰ বিশ্ববিদ্যালয়ৰ চালেই চকু ৰোৱা পৰিবেশত এই লাইব্ৰেৰী টো যেন সোণত সুৱগা চৰা। গেটৰ পৰা সোমাইয়েই পোৱা administrative building টোৰ কাষতেই এই সুসজ্জিত লাইব্ৰেৰীটো। সন্মুখৰ খালী ঠাই খিনিত ডালিয়া, নাৰ্জী, তগৰ কে ধৰি বিভিন্ন ফুল। সন্ধ্যাৰ যেন কেতিয়াবা এই গোটেই খন এক সপোন পুৰী যেন লাগে। ইমানবোৰ ফুল। ইমান যে ৰং। আমাৰ জীৱনটোও যে এনেকুৱাই। ৰঙৰেই সমাহাৰ। ওথ ওথ কাঞ্চন, কৃষ্ণচূড়াৰ গছ মাজে মাজে কঁহুৱাৰ দৰে বনবোৰ। লাইব্ৰেৰীৰ কাষৰ খালী ঠাইখিনিত আন্ধাৰ হোৱাৰ লগে লগে জোনাকী পৰুৱাবোৰে জিলমিল কৰি তোলে গোটেইখন। আজিও সন্ধ্যাই তালৈকে চাই ৰ'ল। নিস্তব্ধ আন্ধাৰকো পোহৰ কণাৰে সজাই তুলিব পৰা বাবেই এই জোনাকী পৰুৱাবোৰ বৰ ভাল লাগে তাইৰ। দিনৰ পোহৰত ৰং সজাব সকলোৱেই পাৰে। কিন্তু ৰাতিৰ এন্ধাৰকো মুকুতাৰ দৰে জিলিকাই তোলা জোনাকী হোৱাটো জানো সহজ কথা? street lightৰ হালধীয়া পোহৰবোৰতো যেন আছে এক অনন্য মাদকতা। এই হালধীয়াই যেন জানে এন্ধাৰ কেনেকৈ নাশে। সন্ধ্যা হেৰাই যাব খোজে এই বোৰৰ মাজত। এইবাৰ লাইব্ৰেৰীত সোমাল তাই। আচৰিত হ'ল। ছিকিউৰিটী ডেস্কখনৰ চাৰিওকাষ বেগেৰে ভৰ্তি। মানুহবোৰে খুব পঢ়িছে তাৰমানে। প্ৰিয়ালৈ ফোন লগালে তাই।

:"ওপৰলৈ আহ। পাৰিলে literatureৰ কিতাপ এখন লৈ আনিবি চোন চাই।" প্ৰিয়াই ফুচফুচাই ক'লে।

Kaushik

:"তইও আহ না। দুয়োজনীয়ে বিচাৰোঁ।"

প্ৰিয়া ওলাই আহিল ৰিডিং ৰুমৰ পৰা।

কিতাপ থোৱা কোঠাটোত সোমায়েই litearture ৰ কিতাপ বিচাৰিবলৈ ল'লে দুয়োজনীয়ে। দুমহলীয়া বৃহৎ লাইব্ৰেৰীটোৰ ঠিক মাজতে উপৰলৈ যোৱা চিৰি ডাল। ওপৰৰ মহলাৰ বাওঁফালেই আছে literature ৰ section টো। তাৰ পৰাই প্ৰয়োজনীয় কিতাপ কেইখন লৈ সিহঁত নামি আহিছিল তলৰ বেঞ্চ খনৰ ফালে। তাতে বহি নোটছ খিনি লিখিব পৰা যাব। বহুকেইজনে লিখি আছেই কিবা কিবি। চাৰিওফালে সাংঘাটিক নীৰৱতা।

চিৰিটোৰে অলপ নামি আহোতেই হঠাৎ এটা ল'ৰাই খুন্দা মাৰিলে সন্ধ্যাক। কিতাপখন হাতৰ পৰা পৰি শব্দ এটাও হ'ল। দুই এজনে মূৰ তুলিও চালে। কোনোবা ল'ৰা এটা মোবাইল টিপি আহি থকা তাইও দেখিছিল। সেইমতেই তাইও যিমান পাৰে কাষলৈ গৈছিল। তাৰ পাছতো খুন্দা খোৱাত সন্ধ্যাৰ অলপ সন্দেহ হ'ল। একে খিনি কথাই হয়তো প্ৰিয়াৰ মনতো আহিছিল সেয়ে তাই মাত লগালে,

:"চকু কেইটা হাতত লৈ খোজ কাঢ়া নেকি?"

ল'ৰাজনে সন্ধ্যাৰ হাতৰ পৰা পৰি যোৱা কিতাপ খন তুলিবলৈ তল মূৰ কৰি আছিল। মূৰ উঠাওতে হে সন্ধ্যাই দেখিলে ল'ৰা জন আবেলি ফোন কৰা বিশ্বজিত।

:"তুমি ইয়াত?" সন্ধ্যাই আচৰিত হৈ সুধিলে।

:"নাই মানে এনেই।" ঠেৰো গেৰোকৈ উত্তৰ দিলে বিশ্বজিতে, বেচেৰাই থতমত খালে অলপ।

:"এনেই মানুহ লাইব্ৰেৰী লৈ আহে নেকি হা?" বুলি আঁতৰি গ'ল সন্ধ্যা। তাইৰ অলপ খঙো উঠিছিল। এইটো তাইৰ পিছত লগা নাইতো। ইফালে বিশ্বজিত যেন সেইখিনিতেই তধা লাগিল। ছেহ, ক'ত ভুলটো হ'ল বাবু তাৰ। পৰিকল্পনা মতে I m sorry হে হ'ব লাগিছিল উত্তৰটো। উপায় নাপায় চুচুক চামাক কৈ লাইব্ৰেৰীৰ বাহিৰ ওলাল সি।

Importance of literature ৰ নোটছ টো লিখি আছিল সন্ধ্যাই একান্তমনে। তেতিয়াই পিছ ফালৰ পৰা কোনোবাই মাত লগালে,

:"ৱাহ সন্ধ্যা, exam ৰ announcement হওঁতেই পঢ়া start দিলাই আৰু না?"

ঘূৰি চাই দেখিলে সিহঁতৰ ক্লাছৰে পৰী ৰৈ আছিল।

Kaushik

:"Hi পৰী, নকবা আৰু, ঘপ কৈ আহিল exam টো। কি হয় ভগৱানে হে জানে।" হাঁহি মাৰি কলে সন্ধ্যাই।

কিছু সময় কথা পাতি পৰী ওলাই গৈছিল। অলপ লিখাৰ পাছত প্ৰিয়াই লগ ধৰিলে কফি খাবলৈ। লাইব্ৰেৰীৰ ভিতৰতে থকা সৰু কেন্টিনখনলৈ বুলি দুয়োজনী ওলাই গ'ল। ইয়াত কফিৰ দাম ৫ টকা মাত্ৰ। কফি কাপ লৈ সিহঁত আগফালে ওলাই আহিল। লাইব্ৰেৰীলৈ সোমোৱা চিৰিটোতে বহি খাবলৈ ল'লে। কিবাকিবি কথা কৈ আছিল প্ৰিয়াই। সন্ধ্যাই ভাবিছিল, shop com ত অনুৰণক পোৱাৰ কথা ক'ব নেকি বাৰু? নালাগে, থাকক। কেতিয়াবা কিছুমান কথা বুকুতে সাঁচি থৈয়েই ভাল লাগে, সংগোপনে। কফি খাই থাকোঁতেই সন্ধ্যাৰ মোবাইলত সেই বিশেষ নম্বৰটোৰ পৰা এটা মেচেজ আহিল,

"Gorom hoi ase coffee. Olp lahe lahe khua baby."

সন্ধ্যাই চঁক খাই যেন অলপ কঁপি উঠিছিল। কোন বাৰু এই কৌশিক। কিয় এনেকৈ তাইৰ লগত পিছত লাগিছে সি। বহি থকা চিৰিটোৰ পৰা থিয় হৈ চাৰিওফালে এবাৰ চালে সন্ধ্যাই। নাই, দুই এটা ল'ৰা ছোৱালী বহি আছিল যদিও তাইৰ চিনাকি মুখ এখনো নাই। তাত থকা খিনিও নিজৰ লগতেই ব্যস্ত। কোনেনো তাইলৈ বিশেষ মনোযোগ দি আছে, ধৰিব নোৱাৰিলে তাই।

:"ঐ, কি চাই আছ এনেকে?" প্ৰিয়াই সুধিলে।

:"নাই একো নাই। যাওঁ ব'ল। বাকী থকা খিনি লিখি ৰুম যাওঁ।" অলপ কঁপা কঁপা মাতেৰে প্ৰিয়াক কৈ ভিতৰলৈ আহিল তাই। খৰধৰকৈ লিখিলে যিমান পাৰে। মনলৈ সেই ল'ৰাটোৰ কথাই আহি আছিল। নাই, তাই অভিমন্যুক ক'বই লাগিব কথাটো। কোনে কৰি আছে এইটো কাম। ঠিক ৯ মান বজাত সিহঁত লাইব্ৰেৰীৰ পৰা ওলাই আহিল। তেনেতে আকৌ এটা মেচেজ। সেই নম্বৰটো। সন্ধ্যাৰ কপালত বিন্দু বিন্দু ঘাম বিৰিঙিছিল। মেচেজটোত লিখা আছিল,

"Aji loi tente ses noh, etia bhal koi jaba dei baby"

(আগলৈ)

#নিৰিবিলি

Part 14

Kaushik

পাটকাই ছাত্ৰাৱাস। ইউনিভাৰ্চিটীৰ আটাইতকৈ বৃহৎ হোষ্টেল হোৱাৰ বাবে ইয়াৰ আৱাসীও সৰহ। হোষ্টেলখনৰ ডাইনিং ৰুমটো যেন কোনো বৃহৎ ভোজনালয়। ৰাতিপুৱাৰ পৰাই হোষ্টেলৰ ৰান্ধনীসকলৰ অত্যন্ত ব্যস্ততা। ৮ বজাত ব্ৰেকফাৰ্ষ্ট যদিও টোপনি প্ৰিয় ৰাইজে সাধাৰণতে ব্ৰেকফ্ৰাৰ্ষ্ট খুব কমেই দেখিছে। অৱশ্যে কেতিয়াবা চিকেন ৰোল নাইবা চিকেন মেগী দিলে ৰুমমেটৰ জাননী পাইয়েই মুখ নোধোৱাকৈ ডাইনিং ৰুমত শাৰী পতা ল'ৰাও বহুত। দিনত ১২.৩০ টাৰ পৰা ২.৩০ লৈকে লাঞ্চ। এই সময় খিনিত সাংঘাটিক দৌৰা দৌৰি। যেন দৰা অহাৰ আগে আগে সকলো আলহীয়ে থৰ খেদাকৈ খাই ল'বহে খুজিছে। কাৰোবাৰ যদি চেকেণ্ড হাফৰ "কামোৰ" লগা ক্লাছ, কাৰোবাৰ আকৌ প্ৰেক্টিকেল, কাৰোবাৰ লেব। তাৰ মাজতে কাৰোবাৰ আকৌ লাঞ্চটোৱেই ব্ৰেকফাৰ্ষ্ট হয় গৈ। গতিকে সেই দৌৰা দৌৰিতে দিনটো কোনে ক'ত কেতিয়া কাৰ লগত খালে কাৰো হিচাপ নাথাকে। সেইবাবে ৰাতিৰ ভাত সাজ খাওঁতেই সকলোৱে সকলোকে লগ পায়। দিনটো ব্যস্ততাৰ অন্তত মনে মিলা বন্ধু কেইজনৰ লগত একেলগে ভাতসাজ খাই বিভিন্ন বিষয়ৰ আড্ডা মৰাটোত কি মাদকতা আছে সেয়া হোষ্টেলৰ আৱাসীসকলৰ বাদে আন কোনে বুজিব? ৰাতিৰ ডাইনিং হলটো সেয়ে এক আড্ডাথলীলৈ সলনি হয়। ৪/৫ টা একলগ হৈয়ে সকলোৱে ভাত খাবলৈ আহে আৰু ভাত খাই মুখ ধোওঁতে কিমান সময় পাৰ হৈ যায় কাৰো হিচাপ নাথাকে। ক্লাছৰ বিভিন্ন ঘটনাৰ পৰা ফুটবল ক্ৰিকেটলৈকে, গাৰ্লফ্ৰেণ্ডৰ ট্ৰেজেডীৰ পৰা প্ৰফেচৰৰ দোষ গুণলৈকে, exam - assignment ৰ বিষয়ৰ পৰা weekend প্লেনলৈকে একোৱেই বাদ নপৰে এই আড্ডাত। পাইকাই হোষ্টেলতো অনুৰণ, অভিমন্যু, বিশ্বজিৎ আৰু বিনোদহঁতে এই Dinner ৰ আড্ডাত ভাগ লয়। কেতিয়াবা ময়ূঁৰো আহে। কেতিয়াবা নাহে। আহিলেও সি নিজৰ মতেহে আহিব। অভিমন্যুৰ বাহিৰে আন কোনোবাই জোৰ কৰি তাক আনিব নোৱাৰে। পাটকাইৰ বৃহৎ ডাইনিং হলটোৰ মাজত দীঘল দীঘল টেবুলবোৰ। সোঁফালে থকা টেবুলখনৰ শেষ ঠাইখিনিয়েই সিহঁতৰ নিয়মীয়া আড্ডাথল। আন দিনাৰ দৰেই অনুৰণৰ ৰুমলৈ অভিমন্যু আহিল। বিনোদলৈ ফোন লগোৱাত সিও গৈ আছোঁ বুলি ক'লে। অনুৰণে বিশ্বজিতলৈ ফোন মাৰিলে।

:"মই খালোঁ। তহঁতে খা।"

বিশ্বজিতে সিহঁতকৈ আগেয়েই খাই গ'ল। বিনোদে বুজি নাপালেওঁ অনুৰণ আৰু অভিমন্যুয়ে ঠিকেই অনুমান কৰিছিল। সেয়ে ভাত খাইয়েই অনুৰণৰ লগত বিশ্বজিতৰ

Kaushik

ৰুমলৈ যাব বুলি ঠিক কৰিলে অভিমন্যুয়ে। ভাত খাই উঠি আহোঁতেই সন্ধ্যাৰ ফোন। অভিমন্যুৰ হাঁহি উঠিল। বেচেৰীয়ে বিশ্বজিতৰ কথা ক'ব চাগে।

:"অভি, কথা এটা আছিল তোৰ লগত।" ফোনটো ৰিচিভ কৰোঁতেই সন্ধ্যাৰ চিন্তাক্লিষ্ট মাত।

:"বিশ্বজিতৰ কেচ নে?" হাঁহো হাঁহো কৰি অভিমন্যুয়ে ক'লে।

:"তই তাৰ কথা কেনেকৈ জান?" সন্ধ্যা আচৰিত হ'ল।

বহুত কামোৰ খালে আৰু বেচেৰীয়ে। সঁচা কথা কোৱা যাওঁক বুলি সকলো খুলি ক'লে তাইক। বিশ্বজিতৰ প্ৰেমৰ পূৰাণ শুনি হাঁহিত ৰ'ব নোৱাৰা হ'ল সন্ধ্যা। কিয় এনেকুৱা এই ল'ৰাটো। অভিমন্যুৰ দুষ্টালিতো তাই হাঁহিত যেন থাকিব পৰা নাই। আচৰিত মানে। এইবোৰ লেতেৰা বুদ্ধি তাৰ মূৰতহে আহে। বেচেৰা বিশ্বটো।

:"ইমান কিয় ফটুৱা অ' তই। ধেত।" আকৌ হাঁহি তাইৰ।

:"হ'ব দে। মই তাৰ ৰুমত যাঁও ৰ এতিয়া।" বুলি ফোনটো থ'ব লওঁতেই সন্ধ্যাই কৈ উঠিল।

:"শুন না, মোক অচিনাকি নম্বৰ এটাই কৰি disturb..."শেষ নহওঁতেই অভিমন্যুয়ে ক'লে,

:"এই কোনোবা লগৰে চাগে, ধেমালি কৰি আছে। পাছত পাতিম ৰ।" বুলি ফোনটো কাটিলে সি।

ই কিয় গুৰুত্ব দিয়া নাই। কি ভুগিছে তাইহে জানিছে। সেই ল'ৰাটোৱে তাই ক'ত থাকে কি কৰে চব খবৰ পাই যায়। অলপ আগতে হাঁহি থকা সন্ধ্যাৰ যেন আকৌ মুখখন ক'লা পৰি আহিল এটা অজান আশংকাত।

কোঁচ মোচ খাই বিচনাত পৰি থকা বিশ্বজিতক দেখিয়েই ঘটনাৰ উমান পাইছিল যদিও উপযাচি সুধিলে অভিমন্যুয়ে,

"ঐ কোৱা আকৌ, কি হ'ল আজি?"

যিমান পাৰি চমুকৈ অতি দুখেৰে ক'লে সি। লগে লগেই হাঁহিত যেন ফাটি পৰিল অনুৰণহঁত। হাঁহি হাঁহিয়েই সুধিলে,

Kaushik

"তই সঁচাকৈ তাইক খুন্দা মাৰিছিলি কেলে বে?"

"ইয়াক কৰণ জোহৰে পালে চিধাই উঠাই লৈ যাব বুইছা।" আকৌ হাঁহিৰ জোৱাৰ।

"তুমি হে কৈছিলা তাই মোৰ কথা ভাল কে কয় বুলি।" অভিমন্যুক ক'লে বিশ্বজিতে।

"মই ক'লো, আৰু তুমি বিশ্বাসো যে কৰিলা।" অভিমন্যুয়ে হাঁহি হাঁহি ক'লে।

"ভাল কে ক'লেও তই গৈ খুন্দা মাৰিবি নেকি ?" অনুৰণে যোগ দিলে।

তেতিয়াহে বিশ্বই বুজি পালে আচল খেল খন। মুখ খন ফুলাই তাৰ স্বভাৱজাত সুৰত ক'লে, "এনেকুৱা কৰিব নাপাই অভিমন্যু। মানুহৰ আৱেগৰ লগত খেলিছা।"

"বাদ দিয়া হে তোমাৰ আবেগ। ছোৱালী দেখিলেই তোমাৰ আৱেগ সলনি হৈয়ে থাকে।" ক্লাছ আৰম্ভ হোৱাৰ পৰা তৃষ্ণা, নিমিষা কে ধৰি কেইবাজনী ছোৱালীৰ প্ৰতি আৱেগৰ বিস্ফোৰণ ঘটিছিল বিশ্বজিতৰ। সেই কথাতে অভিমন্যুয়ে তাক খোঁচটো মাৰিলে।

"ছোৱালীক আৰু লাইব্ৰেৰীত লগ কৰে নেকি, তাইক চিধা কথা পাতি হোটেল চোটেললৈ লৈ যাবা।" অলপ সময়ৰ পৰা সিহঁতৰ কথা শুনি থকা বিশ্বজিতৰ roommate মৃদুলে মাত লগালে। কথাটো কি ক'লে বুলি অনুৰণ আৰু বিশ্বজিতে ভালকৈ বুজি নাপাওঁতেই অভিমন্যুয়ে চিঞৰি উঠিল,

"Shut up মৃদুল। মুখত আহিল বুলিয়েই যা তা কথা ক'বলৈ নাহিবা।"

এনে এটা উত্তৰৰ বাবে সাজু নাছিল সি। হঠাত পৰিৱেশটো যেন গহীন হৈ পৰিল।

"কিয়, তাই তোমাৰ girl friend নেকি, মাল কিন্তু ছোৱালী জনী" অভিমন্যুক ওলোটাই ধৰিলে মৃদুলে। শেষৰ কথাখিনি কওঁতে মুখত এটা অশ্লীল ভাঁজ।

"চুপ। আৰু এটাও word নোকোৱা যাতে সন্ধ্যাক লৈ।" অভিমন্যুৰ যেন খং উঠি আহিছিল।

"Chill অভিমন্যু, মৃদুলে ধেমালি কৰিছে।" বিশ্বজিতে যেন সহজ কৰিবলৈ চালে।

"সন্ধ্যাক লৈ এইবোৰ ধেমালি নহয়" কথাষাৰ কৈয়ে দুৱাৰ খন জোৰেৰে ধমকৈ জপাই ওলাই গৈছিল অভিমন্যু।

Kaushik

সি ওলাই যোৱাৰ ফালে বহু সময় থৰ হৈ চাই আছিল অনুৰণে। কিছু বুজা নুবুজাৰ প্ৰশ্নৰে।

:"ছেহ্ কথাটো বেয়া হ'ল। তুমিও ঘপকৈ তেনেকে ক'ব নালাগিছিল মৃদুল" বিশ্বজিতে ক'লে।

:"মইতো পুৰা ধেমালিৰ সুৰত কৈ আছিলোঁ। ই ইমান ছিৰিয়াছ হৈ গ'ল যে। নে তাৰ আৰু সন্ধ্যাৰ মাজত বেলেগ কিবা...." মৃদুলে শেষ কৰিবলৈ নাপাওঁতেই অনুৰণে কৈ উঠিল,

"সন্ধ্যা অভিমন্যুৰ বহুত ভাল ফ্ৰেণ্ড। বেলেগ কিবা বুলি নহয়, আৰু সন্ধ্যা বুলিয়েই নহয়। যিকোনো ছোৱালী এজনীক এইদৰে ধেমালিতে ভবাটোও এজন well educated মানুহৰ কাম নহয় কিন্তু মৃদুল। কোৱা বাবে বেয়া নাপাবা। ৰ'বা মই তাৰ ওচৰ পৰা আহোঁ।" অনুৰণ ওলাই গ'ল।

অনুৰণে জানে এইটো সময়ত অভিমন্যুক শান্ত কৰিব পৰা অকল এজনেই আছে। সেয়ে সি ময়ূঁৰলৈ ফোন লগাই কথাখিনি ক'লে। সি আহিল। অনুৰণৰ লগতে ময়ূঁৰো সোমাই গ'ল অভিমন্যুৰ ৰুমলৈ। ৰুমত sound box ত গান লগাই চিপছ্ খাই আছিল অভিমন্যুয়ে। লাইটটো অফ। তাৰ এইটোৱেই স্বভাৱ। খঙত ভোকটো বেছিকৈ লাগে। এন্ধাৰৰ মাজত নিজক শান্ত কৰিবলৈ চেষ্টা কৰিছিল যদিও পৰা নাছিল। এক প্ৰচণ্ড খঙত কঁপি আছিল সি।

:"অভি...." ময়ূঁৰৰ মাতত ঘূৰি চালে সি। এফালৰ পৰা কৈ গ'ল তাক। কিয় ক'ব মৃদুলে সন্ধ্যাৰ কথা তেনেকৈ? কিয়? হয় কোন সি? সাহ কেনেকৈ হ'ল তাৰ? সন্ধ্যাক কি ফটুৱা বুলি ভাবিছে নেকি?

:"অভি, ঠাণ্ডা হ অলপ।" খঙত কঁপি থকা অভিমন্যুৰ বাহুটোত ধৰি ক'লে ময়ূঁৰে।

:"সন্ধ্যা কেনেকুৱা ছোৱালী তাৰ চাৰ্টিফিকেট মৃদুল বা আন কোনোবাই দিব নালাগে। মৃদুল কোন হয়? হোষ্টেলৰ এজন চিনাকি। সাধাৰণ এদিনীয়া চিনাকি কোনোবাই কথা এটা কৈ দিলেই তাক গাত লগাই লৈ নিজৰ খং উঠোৱাৰ কি যুক্তি আছে? সন্ধ্যাক ডিফেণ্ড দিবলৈ গ'লে তাইক অপমানহে কৰা হ'ব। যাৰে তাৰে কথাত যদি এনেকৈ ৰিয়েক্ট কৰ তেন্তে জীৱনটো অশান্তিৰেই পাৰ হ'ব। কোৱা মানুহেতো কৈয়ে থাকিব। তাক এবাৰ সাৱধান কৰি দিলি হৈ গ'ল। সেইটো তাতেই এৰি দে।"

Kaushik

শান্ত সুৰত ময়ূঁৰে কোৱা কথাখিনিয়ে শীতল বতাহৰ দৰে কাম কৰিলে। বহুখিনি শান্ত হৈ গ'ল অভিমন্যু। অথনিৰ খংটো এতিয়া একেবাৰেই নাই। কাষতে থিয় হৈ থকা অনুৰণে ময়ূঁৰলৈ চালে। এই ল'ৰাটো এনেকুৱাই। জলন্ত জুইকো এটা চাঁৱনিৰেই শান্ত কৰিব পৰা যেন শক্তি আছে তাৰ। অভিমন্যু ঠিক হোৱাত ময়ূঁৰ ওলাই গ'ল। দিনটো উৎকৎ গৰমৰ শেষত যেন এজাক বতাহে চেঁচা পেলাই গৈছে সকলোকে।

এইবাৰ ঠাণ্ডা সুৰেৰেই অনুৰণৰ ফালে চাই ক'লে অভিমন্যুয়ে,

:"এই মৃদুলটো পাগ্গল নি বাৰু সঁচাকে, কথা ক'ব নাজানে নি গৰুটোৱে?"

:"কথা ক'ব জনা হ'লে তেনেকৈ কয় নে, থাকেই অ' কিছুমান মানুহ এনেকুৱা। বাদ দিয়া। ইহঁতৰ লগত লাগি নিজৰ মুড কৰি লাভ নাই। ইগন'ৰ কৰাই ভাল।" অনুৰণেও ক'লে। ইতিমধ্যে স্বাভাৱিক হৈ গৈছিল অভিমন্যু। তেনেকুৱাতে মৃদুল আৰু বিশ্বজিৎ সোমাই আহিল। মৃদুলেই প্ৰথমে ক'লে,

"ঐ ভাই, বেয়া নাপাবা বে, অথনি তেনেকে ক'ব নালাগিছিল। sorry।" কথাৰ সুৰতে লাগিছিল সি বুজি পাইছে নিজৰ ভুলটো।

ইতিমধ্যে অভিমন্যুৰো খং শাম কাটিছিলেই। গতিকে সিও "একো নাই ভাই। cool" বুলি এৰি দিলে কথাবোৰ। এয়াই হয়তো হোষ্টেল। মান অভিমান, খং ৰাগ, ধেমালি আদিৰে ভৰপূৰ বাবেই এই জীৱন সকলোৰে আকাংক্ষিত। জীৱনৰ আটাইতকৈ সোণোৱালী সময়ৰ সাক্ষী এই হোষ্টেলবোৰ।

ভাতকেইটা খাই আজি লিখা নোটছ খিনি উলিয়াই লৈছিল সন্ধ্যাই। পৰীক্ষা পাইছেহি বাবে হোষ্টেলৰ আড্ডাবোৰ লাহে লাহে কমিছে। বেড টেবুলখন উলিয়াই লওঁতেই ফোনটো বাজি উঠিল সন্ধ্যাৰ। পৰীৰ ফোন।

"সন্ধ্যা, আজি যে লাইব্ৰেৰীত লিখিছিলা নোটছ খিনি মোক ফটো মাৰি দিয়া না প্লিজ।"

"Ok, দিছোঁ ৰ'বা।" বুলি সন্ধ্যাই ফটো মাৰিবলৈ লাগিল।

"কি ফটো মাৰি আছা সন্ধ্যা।" বিদিশাই সুধিলে।

পৰীক ফটো দিয়াৰ কথাটো শুনি যেন বৰ এটা ভাল নাপালে বিদিশাই।

"চোৱা সন্ধ্যা, ইয়াত মানুহবোৰ খুৱ স্বাৰ্থপৰ। অলপ সাৱধানে চলিবা।"

Kaushik

বিদিশাৰ সকীয়নি শুনি হাঁহি উঠিল সন্ধ্যাৰ। এই বা জনীও যে। বৰ চিন্তা কৰে তাইকলৈ। পৰীক ফটো খিনি দি অলপ সময় নোটছ বোৰ চালে সন্ধ্যাই। কিছু সময় পঢ়িলেও। পাৰিবনে বাৰু তাই। ঠিক ১২.৩০ টা বাজিছিল। কাইলৈ আকৌ নটাত ক্লাছ। কিতাপবোৰ সামৰি শুবলৈ লওঁতেই আকৌ কৌশিকৰ কথাটো মনলৈ আহিছিল সন্ধ্যাৰ। কোন বাৰু? আকৌ সেই ভয়টোৱে বেৰিছিল তাইক। এনেতে বাজি উঠিল সন্ধ্যাৰ msg tone টো।

"Aji library t pura romantic scene solil henu" অনুৰণৰ নামটোৰ তলত জিলিকি আছিল msg টো।

ই কেনেকৈ জানিলে, আচৰিত হ'ল সন্ধ্যা।

"Tumi kenekoi gom pala?"

"Tumar khobor loi thakutu"

ৱাহ, বৰ খবৰ লয় এইজনে।

"Kua na o" তাই জোৰ কৰিলে।

"Kenekoi gom palu baad dia. Tumi tu bhalei pabo lage, romantic manuh na tumi. Kareena kapoor r carbon copye" অনুৰণে ঠাট্টা মাৰিলে লাহেকৈ। হয়, সন্ধ্যাৰ মোবাইলত মাজতে চব ৰোমান্টিক গানেই ভৰি আছে বুলি অভিমন্যুয়ে জোকাইছিল এদিন। অনুৰণো লগতে আছিল। একো কোৱা নাছিল সি। যেন শুনাই নাই একো। কিন্তু এতিয়া এইয়া।

"Sei buli Korina kapoor e jare tare lgt romance nokore tu."

সন্ধ্যাৰ replyটো পঢ়ি হাঁহিত ৰ'ব পৰা নাই অনুৰণ।

"Pise, Hrittik r lgt tu kore." সি দিলে।

"Taakei Hrittik eta bisaribo lagibo. Saba suun tumi ei" সন্ধ্যাৰ মুখত ওলমি ৰৈছিল আহোঁ আহোঁ কৰা হাঁহি এটা। নজনাকৈ।

"Obosye agote muk school t logor bure Hrittik buli e matisil."

মেচেজটো টো দেখি হাঁহি বিয়পি পৰিল সন্ধ্যাৰ মুখত। লাহে লাহে যেন তাই বুজি উঠিছে অনুৰণক। সমুখত কথা পাতিব নোৱাৰে সি। বিশেষকৈ লগত বেলেগ কোনোবা থাকিলে। আচৰিত লাজকুৰীয়া। কিন্তু অকল তাইৰ লগত যেন বেলেগ হৈ উঠে অনুৰণ। কিয় জানো তাইৰো ভাল লাগে। লগে লগেই type কৰিলে তাই,

Kaushik

"Iss, bor benga asil o tumar logor keita. Moi hua hole Shakti kapoor buli he matilu heten."

"Ki faltu" হাঁহি উঠিল অনুৰণৰো। সাধাৰণতে মানুহৰ লগত ইমান কথা নাপাতে সি। তাতে এইটো সুৰত। কিন্তু সন্ধ্যা যে....।

"Hahaahahaa" তাই হাঁহিলে। কেইটামান smiley। লাহে লাহে অন্য দুই এটি কথা। সিও পাতে। তাইও।

....

....

....

....

ৰাতি ঠিক ২ টা বাজিছিল, যেতিয়া সন্ধ্যাই শেষৰ টো মেচেজ type কৰিছিল,

"Good night pagla"

"Gud nyt" অনুৰণে দিলে।

মনটো ভাল লাগিল তাইৰ। অভিমন্যুৰ লগত হাঁহোতেও ভাল লাগিছিল। কিন্তু ফোনটো থোৱাৰ পাছতেই আকৌ কৌশিকৰ ভয়টোৱে আগুৰিছিল। কিন্তু এতিয়া চোন ভয়টো অহা নাই। তাৰ সলনি কিবা ভাল লগাই মনটো ভৰাইছে। এৰা, হাঁহি উঠিলে মাত্ৰ অলপ সময়ৰ বাবে মনটো ভাল লাগে, কিন্তু মনটো ভাল লাগিলে বহু সময়লৈকে মুখত হাঁহি এটা লাগি থাকে । সন্ধ্যা শুই পৰিল। কৰিদৰত কোনোবা ছোৱালীয়ে খোজ কাঢ়ি যাওঁতে গুণগুণাই যোৱা "ৰ'দালি তুমি" গীতৰ কলি এটি তাইৰ কাণত পৰিল,

"বতাহৰ অমিয়া ভাষা,

ভাল লগা এটি এটি কথা,

হিয়া থন বাগৰে,

ৰ'দালি তুমি........"

(আগলৈ)

#নিৰিবিলি

Kaushik

Part 15

পৰীক্ষাৰ দিন ওচৰ চাপি আহিছিল। বিশ্ববিদ্যালয়ৰ প্ৰথম পৰীক্ষা হিচাপে সন্ধ্যাহঁতৰ ভয় সংশয়ৰ লগতে উত্তেজনাও আছিল যথেষ্ট। বিশেষকৈ অসমীয়া মাধ্যমৰ পৰা অহা সন্ধ্যা এইক্ষেত্ৰত বেছি অসুবিধাৰ সন্মুখীন হৈছিল। সেইবাবে তাই চেষ্টাও কৰি গৈছিল যথেষ্ট। আবেলিৰ সময়খিনি আজি কালি সন্ধ্যাৰ প্ৰায় লাইব্ৰেৰী তেই পাৰ হয়। লগত প্ৰিয়া নহ'লে অভিমন্যু। সন্ধ্যাৰ অসুবিধাবোৰ অভিমন্যুয়ে বুজিছিল বাবেই সি তাইক কিছু সহায় কৰিছিল পঢ়াত। কথাবোৰ নিজে পঢ়াতকৈ আনে বুজাই দিলে বেছি মনত ৰয় সন্ধ্যাৰ। বাকীবোৰত ঠিকে আছিল। মাত্ৰ এই History of English Literature পেপাৰখন কিছু টান পাই তাই। চব Literary figure বোৰৰ কাম, জীৱনী সকলো মুখস্থ কৰি কৰি যেন অৱস্থা কাহিল হৈ যায়। John Keats ৰ কথা পঢ়োতে সন্ধ্যাৰ মনত পৰে বিহগী কবি ৰঘুনাথ চৌধাৰীলৈ। Shakespeare ৰ ড্ৰামাৰ তালিকা দেখি মনত পৰে ৰূপকোঁৱৰৰ লভিতা, কাৰেঙৰ লিগিৰীলৈ। কোনোবা সময়ত তাইৰ নিজলৈকে খং উঠি আহে। কিয় আহিল তাই ইংৰাজী পঢ়িবলৈ। আমাৰ নিজৰে ইমান ধুনীয়া সাহিত্য আছে, তথাপি বেলেগৰ বোৰ কিয় পঢ়িব লাগে বুজি নাপাই সন্ধ্যাই। আজি যদি এই এংগ্লো চেক্সন পিৰিয়ড, ভিক্টোৰিয়ান পিৰিয়ডৰ ঠাইত ৰামধেনুৰ যুগ, জোনাকী যুগৰ কথা পালে হেঁতেন কম সুখী হ'ল হেঁতেন নে তাই? পালে, সেইবোৰৰ বিষয়েও পালে তাই MIL অসমীয়াৰ পেপাৰ খনত। কিন্তু সেয়া যেন পৰ্যাপ্ত নহয়। উপায় নাই। আহিলে যেতিয়া পঢ়িবতো লাগিবই। সেইবাবেই যিমান পাৰে চেষ্টা কৰি গৈছিল তাই।

সেই দিনা আছিল শুক্ৰবাৰ। অহা সোমবাৰৰ পৰা পৰীক্ষা। ক্লাছত প্ৰায়বোৰ প্ৰফেছৰেই পৰীক্ষা সম্পৰ্কীয় কথাবোৰ আলোচনা কৰিছিল। ১০.৩০ টাৰ break ত অভিমন্যু আৰু সন্ধ্যা গৈছিল এমেনিটীলৈ। সদায়ৰ দৰে এমেনিটী আজিও মানুহেৰেই ভৰ্তি। সিহঁত সোমাই যাওঁতেই সোঁফালে থকা ঘূৰণীয়া টেবুলখনৰ পৰা কোনোবাই চিঞৰিলে,

:"ঐ, অভিমন্যু। ৱাহ্ ছোৱালী লগত লৈ আমাক পাত্তাই নিদিয়া আৰু ন?"

ঘূৰি চাই অভিমন্যু আগবাঢ়ি আহিল। লিপিস্মিতা আৰু নিবেদিতা বহি আছিল। দুয়োজনী Mass Com ডিপাৰ্টমেন্টৰ। অভিমন্যুহঁততকৈ ছিনিয়ৰ। অভিমন্যুৰ লগত নাটকৰ জৰিয়তে চিনাকি। সিদ্ধাৰ্থ দাহঁতৰ লগ লাগি সিহঁতে এখন নাটকৰ প্ৰেকটিছ কৰি আছে। সন্ধ্যাকো কৈছিল। কিবা অসমীয়া উপন্যাস এখনৰ নাট্যৰূপ। নামটো কি আছিল জানো, সন্ধ্যাৰ সোধাই নহ'ল। লিপি বাহঁতৰ ওচৰ চাপি অভিমন্যুয়ে সন্ধ্যাক চিনাকি কৰি দিলে।

Kaushik

:"অহ্, সিদ্ধাৰ্থ দাৰ ভন্টি ন? বৰ মৰম লগা দেই।"

সন্ধ্যাই তল মূৰ কৰিলে।

:"পিছে তোমালোক ইয়াত যে? ক্লাছ নাই?"

অভিমন্যুৰ প্ৰশ্নত হাঁহি হাঁহি ক'লে নিবেদিতা বাই,

:"আমাৰ এইয়াই ক্লাছ। এমেনিটীত ৰৈ মানুহ চিঞৰি আছোঁ।"

বায়ে হাঁহিৰ সুৰত কৈছিল যদিও কথাটো কিন্তু মিছা নহয়। এমেনিটীৰ এই টেবুল কেইখনত বহি লৈ বাটেদি যোৱা মানুহক চিঞৰি থকাৰ মজাই বেলেগ। এই টেবুলখনৰ পৰাই দেখি থাকি Mass Com ডিপাৰ্টমেন্টটো। ওচৰতেই বাবে এমেনিটী Mass Com ৰ অঘোষিত কেন্টিন সদৃশ। দিনটোত যেতিয়াই নোযোৱা কিয় তাত এজন হ'লেও Mass Com ৰ ষ্টুডেন্ট থাকিবই। এমেনিটীৰ সমুখতে mass com পাৰ হৈ অহা ৰাস্তাটো দুভাগ হৈছে। এমেনিটীৰ সমুখেৰে যোৱা ৰাস্তাটোৰে পাই একাডেমিক বিল্ডিং ২। অৰ্থাৎ science ৰ ডিপাৰ্টমেন্টবোৰৰ বিল্ডিংটো। তাতে কম্পিউটাৰ চেন্টাৰটোও আছে। তাৰ কাষতেই লাইব্ৰেৰীটো। সেইটোও ইয়াৰ পৰা দেখি। আৰু চিধা ৰাস্তাটো গৈছে এমেনিটী পাৰ হৈ বাহিৰৰ ফালে। একাডেমিক বিল্ডিঙৰ ফালে সোমাই যোৱা ৰাস্তাটোৰ সমুখতে কেইবাজোপাও কাঞ্চন। এজোপা গোলপীয়া, বাকী কেইজোপা বগা। বতাহত পাহিবোৰ সৰি গোটেইখন যে দলিচাৰ দৰে সাজি থাকে। এই ফুলবোৰেই যে ৰঙীন কৰি ৰাখিছে কেম্পাছটো। এই ফুলবোৰে বাৰু জানে নে, সিহঁতৰ ৰোমান্টিকতাত কিমানৰ যে স্বপ্ন সৃষ্টি হয়

লিপিহঁতক তাতে এৰি সন্ধ্যাহঁত ভিতৰলৈ সোমাই গৈছিল। এনেতে লিপিস্মিতাই চিঞৰিলে,

:"অভিমন্যু ভাল মিলিছা দেই।"

সন্ধ্যাৰ হাঁহি উঠিল। সিহঁতে মানে তাইৰ অভিৰ গাৰ্ল ফ্ৰেণ্ড বুলি ভাবিছে।

:"ঐ, সিহঁতে মোক তোৰ গাৰ্ল ফ্ৰেণ্ড বুলি ভাবিছে বুইছ। কৈ দিবি, মই সেইচব নহয় বুলি।"

:"কেতিয়াও নাভাবে। কাৰণ এই অভিমন্যুৰ গাৰ্ল ফ্ৰেণ্ড হ'লে গোটেই ইউনিভাৰ্চিটীয়ে ঘূৰি ঘূৰি চাব" ঠিক "মে হুঁ না"ৰ ডাইলগটোৰেই কপি মাৰিছিল সি।

Kaushik

:"হুহ্, আগত নিজক চাই আহিবি আইনাত।" বুলি মুখ জোকাৰিলে সন্ধ্যাই। কি যে মানে। এইটোৰ লগত প্ৰেম কৰাজনীৰ কম দুৰ্ভাগ্য হ'ব নে বাৰু?

ভিতৰত অৰ্ডাৰ দিবলৈ লৈ সন্ধ্যাই ক'লে,

:"আজি তই খোৱাবি।" কেতিয়াও নোখোৱাই বুলি জানিলেও তাত আহিয়েই এনেকৈ কোৱাটো যেন সন্ধ্যাৰ নিয়মেই। অভিমন্যুয়েও তাৰ "পইচা নাই" ডাইলগ টো ঠিক মাৰিব লওঁতেই পিছ ফালৰ পৰা কোনোবাই মাত দিলে,

"অভিমন্যু, প্লিজ আজি চিংৰা এটা খুওৱা না। I missed my breakfast today।"

সন্ধ্যা অভিমন্যু দুয়োটাই ঘূৰি চাই দেখে পৰী ৰৈ আছিল। তাইৰ এটা হাত অভিমন্যুৰ বাহুত।

"লোৱা, লোৱা। no problem।" হাঁহি মুখেৰে ক'লে অভিমন্যুয়ে। ইফালে সন্ধ্যাৰ যেন খং আহি নাক পাইছিলহি। আজিলৈকে মোক coffee এক কাপ খুওৱাৰ ৰেকৰ্ড নাই। আৰু এইজনীক!! কিন্তু পৰীৰ আগত একো মুখ ফুটাই ক'ব নোৱাৰি "মই ক্লাছ যাওঁ" বুলি আঁতৰি গ'ল সন্ধ্যা। এতিয়া এনেও তাৰ পেনপেনীয়া প্ৰেম লীলা আৰম্ভ হ'ব। তাইৰ সেই সোপা চাই থকা ইচ্ছাও নাই, সময়ো নাই।

খৰ খোজেৰে আঁতৰি গ'ল তাই। এবাৰ অভিমন্যুয়ে "ৰ না" বুলি চিঞৰিছিল হ'বলা। তাই নৰ'ল। একে কোবে আহি ডিপাৰ্টমেন্টৰ সমুখ পালেহি। চাইকেল ষ্টেণ্ডটোত অনুৰণ।

:"ইমান দৌৰা দৌৰিকৈ যে?" সিয়েই সুধিলে। ছেঃ, তাই বেছিয়ে খৰকৈ আহিল নেকি বাৰু? এই অভি ডালৰ খণ্ডত ক'বই নোৱাৰে।

:"নাই এনেই। তুমি?" সি চাইকেলৰ পৰা নমা দেখি সুধিলে।

:"ৰুমমেটে ছাবি পাহৰিলে। দি আহিলোঁ।" সি ক'লে, "ব'লা যাওঁ।"

"সন্ধ্যা..." যাবলৈ লওঁতেই কাৰোবাৰ মাত। ৰীণা বা ৰৈ আছিল। তাই আগবাঢ়ি গ'ল। অনুৰণ ষ্টেপটোৰ কাষতে ৰ'ল।

:"ৱাহ সন্ধ্যা, অফ ক্লাছ খুব এনজয় কৰিছা ন? বৰ ধুনীয়া লাগিছে আকৌ দেই দুইজনক।" কৈ কৈ ৰীণা বা আঁতৰিল। ধেৎ, এই বাজনীও যে। সি শুনিলে নেকি বাৰু? ভিতৰলৈ গ'ল সন্ধ্যা। লগে লগে অনুৰণো। কোনেও একো মতা নাই। সন্ধ্যাৰ

Kaushik

চোন কিবা তাৰ মুখলৈ চাবলৈকে সাহ হোৱা নাই। কিয় বাৰু? বুকুখনৰ ধপধপনিটোও বাঢ়িছে। কিয় বা? অলপ আগতেতো লিপি বাইঁতেও অভিমন্যুৰ লগত জোকাইছিল। তেতিয়াচোন হাঁহি উঠিছিল। সিহঁত দুইটায়েই তাইৰ বন্ধু। তেন্তে এই লাজটো অনুৰণৰ লগত থাকিলে ক'ৰ পৰা আহে জানো ! কিয় এনেকুৱা হৈছেনো। ভাবি ভাবি ক্লাছৰুমত সোমালগৈ তাই। ইয়াত যে এইটো এটা নিয়মেই। ল'ৰা এটা ছোৱালী এজনীৰ লগত দেখিলেই লগা লগ সিঁহতক প্ৰেমিক প্ৰেমিকা সাজি লৈ জোকাবই। অৱশ্যে সেইয়া অকৃত্ৰিম ধেমালিয়েই। কোনেও ধৰি নাথাকে আৰু জোকোৱা জনেও পাহৰি যায়।

আজি শেষৰ ক্লাছটো শৰ্মা ছাৰে কিছু সোনকালেই এৰি দিলে। আগষ্ট মাহৰ ৰ'দ, সন্ধ্যাৰ যেন অশান্তি লাগিছিল হোষ্টেললৈকে খোজ কাঢ়িবলৈ। ক্লাছ ৰুমৰ পৰাই বাহিৰৰ ৰ'দ দেখি তাই অভিমন্যুক খাটনি ধৰিলে,

"অভি, মোক থৈ আহ না হোষ্টেলত প্লিজ।"

"হয় নেকি, মোক কি ড্ৰাইভাৰ পাইছিলি?"

"তোৰ এনে গাড়ী খন আছে, চাইকেলত হে নিবি। ব'ল না।"

"নোৱাৰোঁ নিজে যা।" সি ৰুমৰ পৰা ওলালেই।

"হাৰে, হয় কি মোক উঠাই নিলে তই।" সন্ধ্যাই প্ৰায় চিঞৰি য়েই ক'লে।

"নোৱাৰোঁ দেই। মোৰ ভোক লাগিছে।" সি তল পালেগৈয়ে।

ওচাৎ মাৰি খঙেৰে আঁতৰি গ'ল সন্ধ্যা। কাকো লগ নধৰাকৈয়ে অকলে খোজ ল'লে। অনুৰণ অভিমন্যুহঁতে চাইকেল উলিয়াই আছিলহে। অভিমন্যুয়ে জানিছিল এইটোৱেই হ'ব বুলি। সেয়েহে তাইৰ পিছে পিছে গৈ সি মাতিলে,

"আহ আহ, বহ"

"নাযাওঁ, মই অকলেই যাম।" বুলি আগবাঢ়ি গ'ল তাই। এইটোক কথা কয় নেকি? মুখখন ফুলি গৰমত আৰু ৰঙা হৈ পৰিছিল তাইৰ। কপালৰ বিন্দু বিন্দু ঘামত লিপিট খাই থকা চুলি কেইডালক জোৰকৈ পিছলৈ থেলি আগবাঢ়িছিল সন্ধ্যা খৰ খোজেৰে।

তাইৰ খঙত হাঁহি উঠিছিল অভিমন্যুৰ। যিমানেই খং নুঠক, সি পিছে ভালকৈয়ে মনাব পাৰে তাইক। আৰু সি মনাব বুলি জানে বাবেই চাগে তাইও বাৰে বাৰে অভিমান

Kaushik

কৰে। সেয়েহে আকৌ তাইক লগ কৰি চাইকেলত উঠাম ভাবি পেডেল মাৰিবলৈ লওঁতেই পিছফালৰ পৰা কোনোবাই মাতিছিল,

"অভিমন্যু, প্লিজ মোক লৈ যোৱা না।" ছোৱালী জনী পৰী। তাই চাইকেলৰ পিছ ছিটত উঠিলেই।

আন সময়ত হোৱা হ'লে এজনী ছোৱালীয়ে এনেকৈ নিজে আহি কোৱাৰ পাছত অভিমন্যুয়ে মানা কৰাৰ প্ৰশ্নই নুঠে। পাৰিলে সি নিজে হে মাতি উঠাব। কিন্তু আজিৰ পৰিস্থিতি অলপ বেলেগ। সন্ধ্যাক নিনিওঁ বুলি কৈ এইক উঠাই নি সন্ধ্যাৰ লগত লাগি ল'বলৈ মন নাই তাৰ।

"Sorry পৰী, আচলতে সন্ধ্যাক থ'ব গে লাগে মই।"

"তাইচোন গ'লেই। এতিয়া মোকেই থৈ আহা না প্লিজ।" তাই ননমাই হ'ল। উপায় নাপাই লৈ গ'ল অভিমন্যুয়ে। বাটত সন্ধ্যাক পালে যিহেতু তাই বেছি দূৰ পোৱাই নাছিল। পোন্দামোৱাকৈ তালৈ চালে তাই। অভিমন্যুয়ে জানে এই চাৱনিৰ অৰ্থ। অসহায় হৈ আঁতৰ হ'ল সি।

গৰমত গোটেই বাটটো খোজ কাঢ়ি আহি ৰুমত সোমাই বেগটো বিচনালৈ দলিয়াই দিলে সন্ধ্যাই। অভিমন্যুৰ ওপৰত উঠা খঙে যেন তাইৰ চুলিৰ আগ পাইছিল। কেনেকৈ কৰিব পাৰে সি এনেকুৱা? পৰীক মানে সি আগেয়েই কৈ থৈছিল। সেই বাবেই তাই বাৰে বাৰে কোৱা সত্বেও তাইক আনিব নোৱাৰিলে। নাই, এই ল'ৰাটোক আৰু সহ্য নকৰে তাই। কথাবোৰ ভাবি থাকোতেই প্ৰিয়া সোমাই আহিল ৰুমলৈ,

"তোক বিচাৰি আছিলোঁ অহাৰ সময়ত। অকলে গুচি আহিলি যে?"

"এনেই" বুলি সন্ধ্যাই ক'লেও প্ৰিয়াই বুজিলে যে কিবা এটা হ'ল। পিছে সেইটো সন্ধ্যাই নিজে নক'লে কাৰো সাধ্য নাই উলিয়াবলৈ। গতিকে সুধি নাথাকি তাইক ভাত খাবলৈ লগ ল'লে প্ৰিয়াই।

ভাত খাই থকাৰ মাজতে হঠাৎ প্ৰিয়াই অনুৰণৰ কথা উলিয়ালে,

"আজি অনুৰণৰ কি হ'ল জানো!"

"কিয় কি হ'ল?" সুধিলে সন্ধ্যাই।

Kaushik

"নাজানো, চাইকেল খন লৈ বহুত time ডিপাৰ্টমেন্টৰ আগত কাৰোবালে ৰৈ আছিল। সোধোতেওঁ একো নাই বুলি ক'লে।"

প্ৰিয়াৰ কথাত মনত পৰিল সন্ধ্যাৰ। তাই অভিমন্যুক চাইকেলত নিবলৈ কৈ থাকোঁতে কাষত অনুৰণো আছিল। আৰু ষ্টেণ্ডৰ পৰা চাইকেল উলিয়াই থকাৰ বাবে তাই অকলে গুছি অহা সি চাগে দেখা নাছিল। কিন্তু কিয় ৰৈ আছিল বাৰু অনুৰণ?

(আগলৈ)

#নিৰিবিলি

Part 16

"Aji okole gusi gola je class r pora"

দুপৰীয়া বিচনাত পৰি থাকোঁতে সন্ধ্যাৰ মোবাইলত মেচেজ আহিছিল। তাৰ আগতেও অভিমন্যুয়ে দুই তিনি বাৰ ফোন কৰি আছিল তাইলৈ। তাই ৰিচিভ নকৰিলে। কিয় কৰিব? তাইক এৰি সি পৰীক আনিছিল নহয়, পৰীৰ লগতে কথা পাতক। খঙতে whatsappটো খোলাই নাছিল তাই। অভিমন্যুৰ মেচেজৰ notification দেখিও চোৱা নাই। পিছে এতিয়া অনুৰণৰ মেচেছটো দেখি খুলিলে তাই।

:"Nai, enei" তাইৰ ক'বলৈ মন নগ'ল।

:"Abhimanyu r uporot khong noh?" সি আকৌ সুধিলে।

একো নিদিলে তাই।

:"But, xi Pori k uthai ana nasil, nije ahi bohisil hi tai"

:"Hobo, tumi tar lawyer hobo nalage. Xi ei xikaise sage eibur tumak"

:"Muk biswax nokora? Moi janu tumak faki dim?"

তাৰ মেচেজটো দেখি ৰৈ গ'ল সন্ধ্যা। এৰা, সি জানো তাইক ফাঁকি দিব? নাই, নিদিয়ে। কিয় নিদিয়ে নো? কোন নো তাই? নিদিয়ে আৰু, তাইৰ ভাল বন্ধু যে, সেইকাৰণে চাগে। বন্ধু? বন্ধু নে? অঁ, বন্ধুয়েইতো। এৰা, হয় চাগে। কিছুমান প্ৰশ্নৰ উত্তৰ নাথাকেই চাগে। যি হওঁক, অনুৰণৰ কথা শুনি অভিমন্যুৰ প্ৰতি খং কমিল তাইৰ অলপ। তাই ফোন লগালে তালৈ।

Kaushik

:"মই কিবা সেইজনীক ইচ্ছা কৰি আনিছিলোঁ নেকি? তই যে একো নুবুজাকৈয়ে মোক বেয়া পাই আছ।" ফোনটো ধৰিয়ে ক'লে সি। মাতটোত যেন অকণমান মৰম, অকণমান অভিমান।

:"তইনো মোক প্ৰথমতেই কিয় নুঠালি চাইকেলত?" তাইও সেইটো সুৰতে ক'লে।

:"মই জোকাইছিলো হে তোক। বেলেগক তেনেকৈ জোকাওঁ নেকি কিবা।" মুখখন যেন ফুলি আছিল তাৰ। বেয়া লাগিল সন্ধ্যাৰ। তাইও কিয় একো ভাবি নাচাই তাক নমতাকৈ আছিল বাৰু? কেইবাৰ যে ফোন মাৰিছিল সি। কিমানটা যে মেচেজ কৰিছিল।

:"হ'ব দে আৰু। আজিৰ পা নুঠাবি বেলেগক।" তাই ক'লে।

:"তইও এনেকুৱা নকৰিবি কিন্তু কথা চথা নপতাকে।" সি যেন এতিয়াহে সহজ হৈছিল।

:"হ'ব দে। আবেলি চকলেট এটা খোৱাই দিবি মোক।" হাঁহি হাঁহি ক'লে সন্ধ্যাই।

:"পাগলী" বুলি ফোনটো কাটিলে সি।

মনটো মুকলি যেন লাগিল তাইৰ। হয়তো তাৰো। বিচনাত পৰি চকুকেইটা মুদি দিলে সন্ধ্যাই।

আবেলি লাইব্ৰেৰীলৈ বুলি ওলাল সন্ধ্যা। পৰীক্ষা পালেহিয়েই। ভয়টোহে লাগি থাকে চোন তাইৰ। অভিমন্যুয়ে ছিট ৰাখি থৈছে লাইব্ৰেৰীত। তাই লৰালৰিকৈ ওলাই আহিছে। ভিতৰলৈ যাওঁতেই হঠাত বুক ৰিটাৰ্ন কৰা ডেস্ক খনৰ ওচৰতে ময়ূঁৰক দেখি ৰৈ গ'ল সন্ধ্যা। ওচৰলৈ গৈ কিতাপ কেইখন দেখি আৰু আচৰিত হ'ল তাই। অনুৰাধা শৰ্মা পূজাৰীৰ "হৃদয় এক বিজ্ঞাপন" আৰু "কাঞ্চন"। এখন ৰিটাৰ্ন কৰিছে আৰু সিখন ইচ্যু কৰিছে নিবলৈ। এই পৰীক্ষাৰ সময়ত এইবোৰ কিতাপ? কি আচৰিত এই ল'ৰাটো?

:"ময়ূঁৰ, পৰীক্ষাৰ সময়ত উপন্যাস পঢ়িছা যে?" ৰ'ব নোৱাৰি সুধি পেলালে তাই।

:"উপন্যাস পঢ়াৰ নিৰ্দিষ্ট সময় আছে জানো? মইচোন উপন্যাসৰ মাজতেই জীয়াই থাকোঁ" অলপ হঁহাৰ দৰে কৰিলে সি। এখন কিতাপ থৈ আনখন লৈ যাবলৈ ওলাল সি। সন্ধ্যাই চাই ৰ'ল। অভ্যাসবশতঃ ময়ূঁৰে থৈ যোৱা কিতাপখন তুলি ল'লে তাই। "হৃদয় এক বিজ্ঞাপন"। তাইও ভাল পাই উপন্যাস, কিন্তু ময়ূঁৰৰ দৰে নহয়।

Kaushik

কিতাপখন চাই থাকোঁতেই হঠাত মাজৰ পৰা ওলাই পৰিল এটা সৰু ম'ৰা পাখি। এইটো কাৰ বাৰু? ময়ূঁৰৰ নহয়তো। হাতত পাখিটো লৈ খৰ খোজেৰে ওলাই আহিল তাই। ময়ূঁৰ লাইব্ৰেৰী পাৰ হ'বলৈ লৈছিলহে। তাই চিঞৰিলে তাক।

:"এইটো তোমাৰ নেকি?" পাখিটো দেখুৱাই সুধিলে, "কিতাপখনৰ মাজত আছিল।"

:" হয় মোৰ। পাহৰি গৈছিলো। Thanks a lot সন্ধ্যা, মই কেনেকৈ যে এৰিছিলোঁ এইটো।" হাত পাতি ল'লে সি।

:"বহুত special যেন পাইছোঁ। কোনে দিয়া?" তাই সুধিলে।

:"ৰাধাই"। পাখিটোত হাত ফুৰাই ক'লে সি।

:"ৰাধা? কোন ৰাধা?" আচৰিত হৈ সুধিলে সন্ধ্যাই। সি একো উত্তৰ নিদিলে।

:"তোমাৰ গাৰ্ল ফ্ৰেণ্ড? ক'ৰ হয়?" আকৌ সুধিলে সন্ধ্যাই। এইবাৰো উত্তৰ নিদিলে সি। "আহোঁ দিয়া" বুলি কৈ গুচি গ'ল। চকুকেইটা যেন পানীৰে ভৰিছিল তাৰ। কিয় বাৰু? ভাবি নাপালে সন্ধ্যাই। তাই বাৰু প্ৰয়োজনতকৈ বেছি কৌতূহল দেখুৱালে নেকি? লগৰ হিচাপে হে সুধিছিল। কিন্তু সি..। এনেতে অভিমন্যুয়ে ফোন কৰিলে। সি ৰৈ আছিল তাইলৈ। তাই সোমাই গ'ল। পঢ়াৰ ব্যস্ততাৰ মাজত সন্ধ্যাই পাহৰি গ'ল ময়ূঁৰ আৰু তাৰ ৰাধাৰ কথা।

পৰীক্ষা আৰম্ভ হ'ল। টাৰমিনেল আছিল যদিও প্ৰথম পৰীক্ষা বাবে সন্ধ্যাহঁতৰ চিন্তাত তৎ নাছিল। পৰীক্ষাৰ দিনা ৰাতিপুৱাই মাকে ফোন কৰিলে,

:"উঠিলা নে? ভালকৈ দিবা পৰীক্ষা মই নামঘৰত চাকি এগছিও দি আহিছোঁ।"

চকুৰ কোণদুটি সেমেকি উঠিছিল সন্ধ্যাৰ। সেই প্ৰথম শ্ৰেণীৰ পৰা এতিয়ালৈকে তাইৰ প্ৰতিটো পৰীক্ষাৰ প্ৰথম দিনা মাকে নামঘৰত চাকি এগছি জ্বলাইয়েই। লগতে অকণমান পায়স। ৰাতিপুৱা পৰীক্ষালৈ ওলাই গ'লে পায়স আৰু মিঠাই অকণ খোৱাই পঠিওৱাটো যেন অঘোষিত নিয়ম। আজি বৰকৈ মনত পৰিছে তাইৰ মাকলৈ। মাকৰ বুকুৰ পৰা ওলাই এইয়া প্ৰথম পৰীক্ষা তাইৰ।

:"সন্ধ্যা, তোমাৰ কোনোবা guest আহিছে। বাহিৰত ৰৈ আছে।"

Kaushik

আচৰিত হ'ল সন্ধ্যা। এই সময়ত কোন আহিল। ৭.৩০ বাজিছে। ৯ বজাৰ পৰা পৰীক্ষা। কোন বা আহিল বুলি তললৈ নামি গ'ল তাই। চিকিউৰিটী ডেস্কৰ ওচৰতে সিদ্ধাৰ্থ ৰৈ আছিল। হাতত কিবা এটা।

:"ধন দা, তই?" তাই সুধিলে।

হাতৰ পেকেটটো আগবঢ়াই দি ক'লে সিদ্ধাৰ্থই,

:"ঘৰলৈ মনত পৰিছে চাগে তোৰ। হোঁ, ল। ইয়াত ৰাতিপুৱাই পায়স ক'ত পাম। ৰসমলাইকে আনিছোঁ। পৰীক্ষালে যোৱাৰ আগত খাই যাবি।"

নিজক ৰখাব নোৱাৰিলে সন্ধ্যাই। সিদ্ধাৰ্থক সাৱটি উচুপি উঠিল।

:"হেই আঁকৰী, কান্দিছ কিয়? মাইঁত নাথাকিলেও মই আছোঁতো ইয়াত। যা, ভালকৈ দিবি পৰীক্ষা।" পেকেটটো লৈ ভিতৰলৈ সোমাই যোৱা সন্ধ্যালৈ বহু সময় চাই আছিল সিদ্ধাৰ্থই। তেনেই আজলী তাৰ এই ভনীয়েক জনী। সৰুৰে পৰাই মৰমৰ মাজতেই ডাঙৰ হোৱা তাই। ঘৰৰ পৰা প্ৰথম বাৰ আঁতৰি আহিছে। লাহে লাহে শিকিব সকলো। আৱেগ আৰু মৰমৰ এটা ভাণ্ডাৰ তাৰ মৰমৰ ভনী ৰুণজুন। সকলোৰে চিনাকি সন্ধ্যা।

পৰীক্ষা দিবলৈ ঠিক ৮.৪৫ মানত পালেগৈ সন্ধ্যা। টাৰমিনেল বাবে সিহঁতৰ ক্লাছতেই হৈছে পৰীক্ষা। মাত্ৰ ডিউটীত দুগৰাকী মেম। দেখাতেই strict যেন লগা মেম দুগৰাকী দেখি যেন ভয়েই লাগিছিল সন্ধ্যাৰ। ২৫ নম্বৰৰ পৰীক্ষা। এক ঘন্টা সময়। সময় লাগিছিল সন্ধ্যাৰ লিখোঁতে। উত্তৰটো তাই জানে, কিন্তু তাক ইংৰাজীত সজাই লিখোঁতে কিছু সমস্যা হৈছিল। হয়তো অসমীয়া মাধ্যমৰ প্ৰত্যেক গৰাকী শিক্ষাৰ্থীয়েই এই সমস্যাটো পাইয়েই। তথাপি তাইৰ বিশ্বাস, তাই লাহে লাহে পৰা হ'বগৈ। প্ৰথম পৰীক্ষা হিচাপে ভালেই হৈছিল। লাহে লাহে এটাৰ পাছত এটাকৈ হৈ গৈছিল পৰীক্ষাবোৰ।

পৰীক্ষা টোৱে যেন সন্ধ্যাহঁতৰ ক্লাছত এটা নতুন ঢৌ হে আনি দিলে। অচিনাকি মুখবোৰো চিনাকি হৈ পৰিল খুব সহজেই। সন্ধ্যাই অহংকাৰী বুলি আঁতৰি থকা মিতালী, মনশ্ৰীহঁতৰ লগতো ভাল সম্পৰ্ক এতিয়া তাইৰ। সদায় পৰীক্ষাৰ আগত নোটছৰ দিয়া লোৱা আদিবোৰতো থাকেই। অভিমন্যু আৰু সন্ধ্যাৰ লগত সেই কেইদিন বিশ্বজিৎ, অনুৰণ হঁতো গৈছিল লাইব্ৰেৰী। ইউনিভাৰ্চিটি খনৰ যেন বতাহ জাকো শান্ত হৈ পৰিছিল পৰীক্ষাৰ কেইদিন। জোৰেৰে বলিলে যেন পঢ়াত ব্যাঘাত হে জন্মিব।

Kaushik

Essentialৰ উকিবোৰ শুনা নাছিল। ঘূৰণীয়া টেবুল আৰু কাষৰ চকীবোৰো উকা হৈ ৰৈছিল। সন্ধিয়াৰ লগে লগে প্ৰাণ পাই উঠা বাহিৰৰ দোকানবোৰত আগৰ দৰে ভিৰ নাছিল। বয়জ হোষ্টেলৰ সমুখৰ পুলবোৰতো জুম বান্ধি কোনেও আড্ডা মৰাহি নাছিল। ফিল্ডৰ লাইটবোৰো সোনকালেই নুমাই গৈছিল। চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনৰ পৰাও নাটকৰ সংলাপৰ চিঞৰ উফৰি অহা নাই সেইকেইদিন। সঁচাকৈ মানুহ যিমানেই ডাঙৰ হৈ নাযাওঁক কিয়, পৰীক্ষা সদায় পৰীক্ষয়েই। আৰু পৰীক্ষাৰ ভয়ো কেতিয়াও বয়সৰ ওপৰত নিৰ্ভৰ নকৰে।

প্ৰতিটো পৰীক্ষা দি আহি সন্ধ্যাক কেনেকুৱা হৈছে খবৰ লোৱাটো যেন অনুৰণৰ নিয়মত পৰিণত হৈছিল। আমাৰ সন্ধ্যাও ক'ব নোৱাৰাকৈ সেই মেছেজ টোৰ বাবেই যেন ৰৈ থাকে। ইফালে পৰীক্ষাৰ আগদিনা ৰাতি ফোনত অভিমন্যুয়ে সন্ধ্যাৰ সৰু সুৰা টেষ্ট এটাই যেন লৈ লয়। প্ৰতিটো part সন্ধ্যাই বুজিছেনে নাই clear হৈ লয় সি। মুঠতে এই পৰীক্ষাটোৱে অকল সন্ধ্যা অনুৰণ আৰু অভিমন্যুকেই নহয়, গোটেই ক্লাছটোকেই ওচৰ চপাই আনিলে। জীৱনটোও যেন এনেকুৱাই, যিমানেই পৰীক্ষাবোৰ আহে সিমানেই আপোন মানুহ বোৰ ওচৰ চাপি আহে।

আৰু এনেকৈ আহি আহি এদিন পৰীক্ষা শেষ হ'ল। বিশ্ববিদ্যালয় জীৱনৰ প্ৰথম পৰীক্ষা শেষ কৰাৰ ফুৰ্তিত সন্ধ্যাহঁতৰ ক্লাছটোৱে plan বনালে যে সিহঁত গোটেই বোৰ তেজপুৰ ফুৰিবলৈ যাব। তেজপুৰত ফুৰিবলৈ বহু ঠাই আছে, কিন্তু এই পৰীক্ষাটোৰ বাবে কাৰো তেনেকৈ ফুৰা হোৱাই নাছিল। বিশ্বনাথ চাৰিআলিৰ ছোৱালী হিচাপে সন্ধ্যাই আগতে বহুবাৰ মাক দেউতাকৰ লগত অগ্নিগড়, cole parkকে ধৰি তেজপুৰৰ ঠাইবোৰ ফুৰিছে যদিও নতুন লগৰ খিনিৰ লগত ফুৰাৰ আমেজৰ বাবেই তাইও ওলাল।

শেষৰ পৰীক্ষাতো দিয়েই ডিপাৰ্টমেণ্টৰ পৰা ওলাই কাষৰ পুলটোত বহিয়েই চব ঠিক কৰিলে অভিমন্যুয়ে। এইবোৰত আগভাগ ল'বলৈ অভিমন্যু সদায় সাজু। কেইটা বজাত যাব , কেইটাত ঘূৰিব গোটেই ৰুটিন থনেই বনাই দিলে সি। আজি শুক্ৰবাৰ। সিহঁতৰ পৰীক্ষা শেষ। গতিকে পিছদিনা শনিবাৰে যোৱাৰ planটো হ'ল। সন্ধ্যাহঁতৰ ক্লাছৰ ষ্টুডেন্ট মুঠ ৩০ টা যদিও যাবলৈ সাজু হ'ল ১৮ টা মানহে। অৱশ্যে উপায়ো নাই। সকলো সকলোৱে লগত নিমিলে। সন্ধ্যাই নিজেও ক্লাছৰ বহুত কেইটা ল'ৰাক ভাল কৈ চিনিয়েই নাপায়। সিহঁতৰ ধৰণ কৰণ দেখিয়েই বেছি ভাগেই আঁতৰি থাকে।

"ঐ, তোৰ সেই প্ৰেৰণাকো লগ ধৰোঁ নি যাবলৈ।" শেষৰ পৰীক্ষাটো দি দিপাৰ্টমেণ্টৰ পৰা হোষ্টেললৈ আহি থাকোঁতে অভিমন্যুক সুধিলে সন্ধ্যাই।

Kaushik

"কোন প্ৰেৰনা?" নজনাৰ দৰে ওলোটাই সুধিলে সি।

"ইচ, হ'ব। acting নকৰ। খুব্ব ফোনত কথা পাতিছিলি চোন।"

এতিয়া হে মনত পৰিল অভিমন্যুৰ,

"অহ, সেইজনী। ধুৰ, এনেই হে পাতিছিলোঁ। আজি কালি নাপাতো। বাদ দিলোঁ।"

কিয় নাজানো, অভিমন্যুয়ে প্ৰেৰণাৰ কথা এইদৰে কোৱাত সন্ধ্যাৰ যেন ভাল লাগিছিল। তাইৰ মনৰ ক'ৰবাত তাক হেৰুৱাৰ এটা ভয় সোমাই আছে নেকি বাৰু। ধুৰ, কি যে ফটোৱা কথা কিছুমান ভাবে তাই। এই বলিয়াটোক লৈ ইমান ছিৰিয়াছ কথা ভবাটো মূৰ্খামিৰ বাহিৰে আন একো নহয়।

ৰাতি ভাত খাই হোষ্টেলৰ নিয়মীয়া আড্ডা সামৰি অনুৰণলৈ মেচেজ type কৰিলে সন্ধ্যাই,

"Oi, kaile ulaba dei.. moiu jam.."

"Ulam baru, pise aji moi nuxudhakei kola je nijei jam buli." এটা হাঁহিৰ smily ৰে অনুৰণৰ উত্তৰ। সি যেন তাইৰ মেচেজ টোৰ বাবেহে ৰৈ আছিল। মেচেজ টোৱে কঢ়িয়াই অনা হাঁহিৰ ফাকু খিনিৰে মোবাইলত আঙুলি বোলালে সন্ধ্যাই,

"Moi nujuakoi class loiu nujua jetia agotei koi disu aru"

"Class le he njau, park le jam tu. Beleg sualibur jabo nohoi."

অনুৰণৰ মেচেজত হাঁহি উঠিল সন্ধ্যাৰ। তাই নিজে উপযাচি মাতাৰ পাছতো তাৰ মাতিবলৈ লাজ, এতিয়া আকৌ পাৰ্কত ছোৱালী চাব যোৱাৰ কথা কয়। হাঁহি হাঁহিয়েই লিখিলে তাই,

"Tumi tar mane pura sualir lgt line marim buliyei ulaisa aru nah?"

"Ekdom, saba tumi"

কিবা কিবি কৈ গৈছিল সন্ধ্যাই। অনুৰণেও। মাজে মাজে হাঁহিবোৰ মুখত বিয়পি পৰিছিল। কোনেও নজনাকৈ এটি কাহিনী লাহে লাহে মেচেজতেই আৰম্ভ হৈছিল।

"Okk, now gud nyt.. kaile log pam.. xunkale uthi muku jogai diba" সন্ধ্যাই শেষৰ মেচেজটো লিখোঁতে সময় ৰাতি প্ৰায় ১ বাজি গৈছিল।

"O uthim xunkale. Suali sabo lagibo nhoi."

Kaushik

"পাগলটো", বুলি মোবাইল টো থৈ শুবলৈ ল'লে সন্ধ্যাই। সি হাজাৰ বাৰ ক'লেও তাই জানে অনুৰণে তাইৰ বাহিৰে বেলেগ ছোৱালীৰ লগত কথা পতাটো বাদেই মুখলৈও বেছি সময় চাই থাকিব নোৱাৰে। সেই বাবেই যে বেলেগতকৈ বেলেগ এই অনুৰণ। কথাবোৰ ভাবি ভাবি টোপনিৰ মাজলৈ সোমাই গ'ল সন্ধ্যা। ৰুমমেট বিদিশাই মোবাইলত একেবাৰে পাতল সুৰত লগাই থোৱা জুবিন গাৰ্গৰ গানৰ কলি এটি কাণত পৰিলহি তাইৰ,

"এতিয়া হিয়া মোৰ বৰষে তোমালে,

এতিয়া বুকু মোৰ উলাহে নধৰে........"

(আগলৈ)

#নিৰিবিলি

Part 17

ৰাতিপুৱা ঠিক ৭ বজাৰ পৰাই অহৰহ বাজি আছিল সন্ধ্যাৰ মোবাইলটো। টোপনিত লালকাল সন্ধ্যাই গম নাপায়। এসপ্তাহ পৰীক্ষাৰ ভাগৰৰ টোপনিক মোবাইলৰ ৰিংটনটোৱে হৰুৱাব পৰা নাই। পিছে ৰিংটনৰ শব্দত বিদিশাৰ টোপনি ভাঙিল। হোষ্টেলীয়া জীৱনৰ এইটো যেন এক নিয়মেই। সাৰ পালে সদায় ৰুমমেটৰ ফোনৰ শব্দতহে পোৱা যায়। লাগিলে ফোনৰ ৰিংটনেই হওঁক বা এলাৰ্মেই। নিজৰ মোবাইলৰ শব্দ কেতিয়াও নিজৰ কাণত নোসোমাই। মুঠতে ৰুমমেটৰ মোবাইলে যদি তোমাৰ টোপনি ভঙা নাই, তেন্তে কি হোষ্টেল লাইফ পাইছা হে তুমি? বিদিশাৰো সেইটোৱেই হ'ল। পৰীক্ষাৰ পাছত আজি শনিবাৰটোত দেৰিলৈ শুম বুলি ভাবি আছিল বেচেৰী বিদিশাই। কিন্তু এই সন্ধ্যাজনীৰ ফোনটোৱে তাইৰ কেঁচা টোপনিটো শেষ কৰিব এতিয়া।

:"সন্ধ্যা, ফোন।"

চকু নেমেলাকৈয়ে সন্ধ্যাক মাতিলে বিদিশাই। তাইৰ সাৰ সুৰ নাই। ফোন আকৌ বাজিল।

:"সন্ধ্যা, ফোন বাজি আছে। ধৰ।"

Kaushik

ৰুমমেট হিচাপে বহুখিনি সহজ হৈছিলগৈ সিহঁত। তুমিৰ পৰা তই হৈছিল। নিজৰ নাই বাবে বিদিশাই নিজৰ ভনীয়েকৰ দৰেই যিদৰে মৰম কৰে সেইদৰে শাসন কৰি গালিও পাৰে সন্ধ্যাক।

:"ঐ, উঠ না। ৰিচিভ কৰ ফোন ডাল।" এইবাৰ বিচনাত উঠি বহিল তাই। নাই, আমাৰ সন্ধ্যা ৰাগিনীৰ টোপনিৰ ৰাগি শেষ হোৱাই নাই। শেষত উঠি আহি তাইক জোকাৰি দিলে বিদিশাই।

:"ঐ, ফোন ডাল নধৰ কিয়? Silent ও কৰি থ'ব নোৱাৰ এইডাল।"

খকমককৈ সাৰ পাই উঠিল সন্ধ্যা। ছেহ্, বেচেৰী বিদিশা বাৰ এনেই টোপনি ভাঙিল। তাইৰ যে টোপনিটো কিয় কুম্ভকৰ্ণৰ নিচিনা বাৰু? বিদিশা বিচনাত পৰিলগৈ আকৌ।

:"সন্ধ্যা, উঠি গ'লে মোৰ ব্ৰেকফাষ্টটো আনি থৈ যাবিচোন।" বিচনাৰ পৰাই ক'লে তাই। হয় কেতিয়াবা এনেকুৱা। গোটেই সপ্তাহটোৰ অবৰ্ণনীয় ব্যস্ততাৰ শেষত এই শনিবাৰ দেওবাৰ দুটাত বিচনাখন যে এক মূহুৰ্তৰ বাবেও এৰিবলৈ মন নাযায়।

:"হ'ব বা।" বুলি বিচনাৰ পৰা নামোতেই আকৌ বাজি উঠিল মোবাইলটো। আনি চাওঁতেই দেখিলে অভিমন্যু। ৰিচিভ কৰিলে তাই।

:"ক'ত মৰি আছিলি? অথনিৰ পৰা ফোন কৰি আছোঁ।" গালি আৰম্ভই কৰিলে সি।

:"কিহে পালে তোক ৰাতিপুৱাই?" খঙেই উঠিছিল সন্ধ্যাৰ। হ'ল বুলি ইমান ফোন মাৰিব লাগে নে?

:"উঠ আকৌ, আজি ফুৰিব যোৱাৰ কথা নাই নি কিবা?" এনেকৈ কৈছে যেন ক'ৰবাত যুদ্ধলৈ যাব সিহঁত। ভাবিলে সন্ধ্যাই।

:"তোৰ সেই পৰীক জগা আকৌ, তাইক হে নিয় চাইকেলত।"

পৰীক্ষাৰ কেইদিন পৰীৰ কথাটো পাহৰি আছিল যদিও এতিয়া সুযোগটো পাই সন্ধ্যাই খোঁচ মাৰিবলৈ নেৰিলে।

:"হাৰে, কিমান ক'ম আৰু তাইক মই নিজে মাতি উঠোৱা নাছিলোঁ, নিজে হে আহি উঠি লৈ ননমা হ'ল।"

Kaushik

অভিমন্যুৰ কৈফিয়ৎ শুনি হাঁহি উঠিল সন্ধ্যাৰ। তাক কেনেকৈনো কয় যে অনুৰণেই যে তাইক পৰীৰ কাহিনীটো কৈছিল। নহ'লেতো চাগে সন্ধ্যাই কেই দিনলৈ অভিমন্যুক নমতাকৈ থাকিল হেঁতেন ঠিক নাই।

শোৱাৰ পৰা উঠি গা ধুই আজৰি হ'ল সন্ধ্যা। কাপোৰ কেইটামান ধুব লগা আছিল। সেই কেইটা ধুইও ল'লে। ব্ৰেকফাষ্ট কৰি বিদিশালৈকো আনি থ'লে। ১১.৩০ বজাৰ বাছত যাব বুলি ঠিক কৰিছিল সিহঁতে। সেইমতেই ঠিক ১১ মান বজাত তাইৰ ৰুম পালেহি প্ৰিয়া। আহিয়েই হুলস্থুল আৰম্ভ কৰি দিলে তাই। তেজপুৰ ইউনিভাৰ্চিটীৰ বাছত ছিট পোৱা আৰু ৰাতিৰ আকাশত পপীয়া তৰা দেখা একেই। ভাগ্য লাগিব। প্ৰথমে গৈ বাছখন খালীয়েই দেখা যায়। বহিবলৈ ল'লেহে গম পায়। ইয়াত অমুক আছে, ইয়াত মই পানী বটল থৈ দিছোঁ, ইয়াত মোৰ ৰুমাল দি ছিট ৰাখি থোৱা আছে, আৰু যে কত কি। প্ৰত্যেকটো গ্ৰুপতেই এনেকুৱা এজন পৰোপকাৰী প্ৰাণী থাকেই। যিয়ে সকলোৰে কাৰণে ছিট ৰাখেগৈ। তাতে আজি যিহেতু উইকেণ্ড, শনিবাৰ। তাতে আগদিনা পৰীক্ষা শেষ হৈছে। আজি আৰু ৰাইজক কোনে পায়। তেজপুৰৰ চক বজাৰ, জোনাকী, ক'ল পাৰ্ক, অগ্নিগড়, সমাৰোহ, ৰাধেশ্যাম সকলোতে এজন নহয় এজন ইউনিভাৰ্চিটীৰ ষ্টুডেণ্ট ওলাবই। সেয়েহে বাছত চাগে দলদোপ হেন্দোলদোপ হৈ আছে মানুহ। গতিকে সময়তকৈ আধাঘণ্টামান আগতে নগ'লে ছিট পাবলৈ সাধ্য নাই কাৰো। অৱশ্যে অভিমন্যুহঁত আগতে গৈছে বাৰু ছিট ৰাখিম বুলি। ক'ৰবালৈ যাবলে ওলালে সন্ধ্যাৰ সদায় উলাওঁতে সময় লাগে। আগতে ঘৰতো সদায় এই কথাটোৰ বাবেই মাকৰ পৰা গালি শুনিছিল তাই। সেয়েহে এতিয়া প্ৰিয়াৰ গালিত মাকলৈ মনত পৰি গ'ল সন্ধ্যাৰ। ওলাই মেলি হোষ্টেলৰ পৰা আহে মানে ১১.১০ হ'লেই। আহি থাকোঁতে বাৰে বাৰে সন্ধ্যাই মোবাইল টো চেক কৰি থকা প্ৰিয়াই মন কৰিছিল যদিও একো কোৱা নাছিল। bus stand পোৱাৰ আগে আগে সন্ধ্যাই বাট চাই থকা মেচেজটো আহিল,

"Oi, joldi aha"

"অনুৰণহঁত পালেগৈ চাগে না" হঠাৎ প্ৰিয়াৰ কথাটো শুনি বুকু খন যেন ঢপকৈ উঠিল সন্ধ্যাৰ। তাই কেনেবাকৈ মেচেজটো দেখিলে নেকি বাৰু। কিয় জানো তাই বিচাৰে যে অনুৰণ আৰু তাইৰ মেচেজৰ কথাবোৰ সকলোৰে আঁৰত থাকক। তাই অনুমান কৰে, সিও যেন সেইটোৱেই বিচাৰে। কাৰণ আজিলৈকে সিহঁতে মেচেজত ইমান কথা পাতিলে, ক'তা সকলোৰে সমুখত চোন প্ৰথম লগ পোৱাৰ দৰেই এটা দুটা কথা কেৱল। প্ৰথমে তাইৰ আচহুৱা লাগিছিল। কিন্তু আজিকালি যেন অভ্যস্ত হৈ গৈছে তাই। কিছুমান

Kaushik

কথা কাৰো সৈতে ভগাব নোৱাৰি। কিছুমান কাহিনী এনেকৈয়ে চলি থাকে। কোনেও নজনাকৈ, কোনেও নুবুজাকৈ। সন্ধ্যা আৰু অনুৰণৰো তেনেকুৱাই হৈছিল। পিছে সন্ধ্যাই মিছাতেই ভয় খালে, কাৰণ প্ৰিয়াই এনেয়েহে সুধিছিল। মেচেজ দেখি নহয়। ইতিমধ্যে সিহঁত বাছত উঠিলগৈ। E type কোৱাটাৰ কেইটাৰ কাষতে বাছ ষ্টেণ্ডটো। হালধীয়া ৰঙৰ বাছখনৰ লগতে এজোপা ডাঙৰ এজাৰৰ গছ। ঠাইখিনি ছাঁ কৰি ৰাখিছে গছজোপাই। সেইবাবেই দুই একে বেগটোৰে ছিট ৰাখি থৈ গছজোপাৰ ছাঁতে জিৰাইছেহি। বাছ প্ৰায় full হৈছেই। ভাগৰুৱা মনটোক অকণ প্ৰশান্তি দিবলৈকে ওলাই আহিছে চব। কাৰোবাৰ বন্ধুৰ লগত অনৰ্গল কথা, কাৰোবাৰ প্ৰিয়জনৰ লগত সময় কটোৱাৰ অজুহাত।

বাছত উঠিয়েই থং উঠি আহিল সন্ধ্যাৰ। পৰী আৰু অভিমন্যু একেলগে। অভিমন্যুয়েও জানে যে সন্ধ্যা তাৰ লগতে বহিব। তাৰ পাছতো পৰীৰ লগত। মুখখন এপাচি মান কৰি সন্ধ্যা আৰু প্ৰিয়া আগফালৰ ছিট এটাত বহিল। বগা টপ এটা পিন্ধি অহা সন্ধ্যাক কেইবা যুৰি চকুৱেও যে বাৰে বাৰে চাই ৰৈছিল তাইও গম পোৱা নাছিল।

:"অভিমন্যু, ময়ূঁৰ নাহে নেকি?" তাক নেদেখি প্ৰিয়াই সুধিলে। উত্তৰত "নাহে" বুলি ক'লে সি। এই ল'ৰাটোৱে যেন এইখন পৃথিৱীত নাথাকেই, এনে অনুভৱ হয় সন্ধ্যাৰ। ছিটত বহিয়েই ইফালে সিফালে মূৰ ঘূৰাই চাইছিল সন্ধ্যাই। অনুৰণ, নাই যে সি।

"Last seat t asu" মোবাইলত মেচেজ আহিল অনুৰণৰ পৰা। লগে লগেই আপোনা আপুনি আকৌ হাঁহি এটা বিয়পি পৰিল। বুকুখন অলপ ধপধপাইছে নেকি বাৰু? এজাৰ পাহি এটিও সৰিছিল চাগে বতাহত। আচৰিত হয় সন্ধ্যাও। এই সৰু সৰু ক'লা আখৰবোৰে হাঁহিৰ ৰংবোৰ কিদৰে সানে বাৰু? তাইৰ যেন লাজ লাগিল। তাই তাকেই বিচাৰি আছিল বুলি গম পালে মানে সি।

গোটেই বোৰ অহাৰ পাছত বাছৰ ভিতৰতে ভাল কৈয়ে আড্ডা জমি উঠিল। সদায় লোৱাৰ দৰেই অভিমন্যুয়েই আগভাগ ল'লে। জুৰি সীমা নিমিষাহঁতৰ হাঁহিবোৰে পৰিবেশটো যেন অধিক জীৱন্ত কৰি তুলিলে। অভিমন্যুহঁতৰ দৰেই আন এটা গ্ৰুপেও হাঁহি মাতি গৈ আছে। তাৰ মাজতে কোনোবা হেডফোনত গান শুনিয়েই ব্যস্ত। সন্ধ্যাই দেখিছে, সিহঁতৰ সমুখৰ ছিট দুটাত বহা ল'ৰাটো আৰু ছোৱালীজনীয়ে একেডাল হেডফোনেই দুয়োজনে লগাইছে। ল'ৰাটোৰ কান্ধত মূৰটো পেলাই দিছে তাই। ৰাস্তাৰ জোকাৰণিত খহি পৰা তাইৰ চুলিবোৰ সি ঠিক কৰিছে হাতেৰে। সন্ধ্যাৰ ভাল লাগিল কিবা এটা। সঁচাই, কেতিয়াবা বাছৰ আমনিদায়ক যাত্ৰাও ভাল লাগে। যদিহে কাষত বিশেষ কোনোবাজন থাকে। পিছফালে অভিমন্যুহঁতৰ হাঁহিৰ শব্দ কাণত পৰিলহি।

Kaushik

তাইক মাতি কিবা এটা কৈছেও হ'বলা। কিন্তু সন্ধ্যাৰ যেন সেইবোৰলৈ ইমান মন নাই। অভিমন্যুলৈ খং কৰি নহয়, বাছত গৈ থাকোঁতে হেডফোনত গান শুনি বাহিৰৰ পৃথিৱীখন চাই এটা বেলেগ তৃপ্তি পাই তাই। সেয়েহে ইচ্ছা কৰিয়েই আড্ডাত ভাগ নল'লে। হেডফোন ডাল লগাই জুবিনৰ গান এটা লগাইছিল।

"জোনমণি ৰুণজুন,

তেতিয়া চকুত জোন,

নিভাঁজ আৱেগত টোপাটোপে সৰা সোণ.."

খিৰিকীৰ কাষৰ ছিট। ফেৰফেৰিয়া বতাহ। কাণত জুবিনৰ গান। আৰু কি লাগে?

প্ৰায় আধা ঘন্টাৰ মূৰত তেজপুৰ ASTCপালেগৈ বাছ খন। ৰখোৱাৰ লগে লগেই সকলোৱে মাজত লৰালৰি লাগিল। সন্ধ্যাৰ লগতে বহি থকা প্ৰিয়াও ওলাই গ'ল। সন্ধ্যা পিছে ভিৰ কমক বুলিয়েই ৰ'ল। আহোঁতে খৰধৰকৈ ওখ চেণ্ডেল যোৰ পিন্ধি অহাৰ বাবেই ভিৰৰ পৰা আঁতৰি আছে তাই। সকলো নামি বাছখন খালি হোৱাৰ পাছত ওলাবলৈ লৈছিল সন্ধ্যা। কিন্তু বেছি সাৱধান হোৱাৰ বাবেই হ'বলা, বাছৰ পৰা নামোতেই তলত থকা শিল এটাত উজুটি খাবলৈ লৈছিল তাই। এই তেজপুৰৰ ASTC টো কিবা ওখোৰা মোখোৰা। হয়তো তাই পৰিয়েই গ'ল হয়। হঠাৎ পিছফালৰ পৰা কোনোবাই ধৰি ৰখাই দিলে। সন্ধ্যা পৰিবলৈ লৈও উভতি ল'ৰাজনৰ গাত ধৰি ৰৈ গ'ল।

"চাবা অলপ খোজ কাঢ়োঁতে" সেই শান্ত মাতটো।

অনুৰণৰ হাতটো সন্ধ্যাৰ কঁকালত আছিল। মেলা চুলিৰে তাইৰ মুখখন লুকাই পৰিছিল তাৰ বুকুত।

(আগলৈ)

#নিৰিবিলি

Part 18

স্তব্ধ হৈ গৈছিল যাযাবৰী সময়। আজি মূৰ ধুই অহাৰ বাবে পানীৰ টোপালবোৰ অলপকৈ লাগিয়েই আছিল সন্ধ্যাৰ চুলিত।টোপাল কেইটাই তিয়াই দিছে অনুৰণৰ টি

Kaushik

চাৰ্টৰ এক অংশ। সন্ধ্যাই মূৰটো উঠাই আনিলে। চকুৰে এবাৰ তালৈ চালে। ASTC ত বলি থকা তেজপুৰৰ নৈ পৰীয়া চেঁচা বতাহজাকে দুয়োটাকে বাৰুকৈয়ে কোবাইছিল। চাৰিওফালে গাড়ীৰ আহ যাহ বোৰ পৰোক্ষ হৈ গৈছিল। সন্ধ্যাৰ এখন কাণত হেডফোন লাগিয়েই আছিল। বাজি আছিল জুবিন দাৰ চিৰসেউজ গান,

"তোমাক দেখা পালে সপোন জাগি উঠে

বুকুখনি হয় তাজমহল........"

সদায় শান্ত অনুৰণো যেন চঞ্চল বতাহ জাকৰ দৰেই কঁপি উঠিছিল। আৰু সন্ধ্যা? জড় পদাৰ্থৰ দৰে ৰৈ গৈছিল সন্ধ্যা। বৰষুণ নহাকৈ যেন বৰষাৰ টোপাল অনুভৱ কৰিছিল। বতাহ নহাকৈয়ে কঁপিছিল চেঁচা পৰশত। হৃদয়ৰ স্পন্দন শুনা পাইছিল যেন নিজ কাণেৰে। সিদিনা momo খাবলৈ যাওঁতেও অনুৰণে তাইক ধৰিছিল। কিন্তু আজিৰ পৰশ যেন কিছু নিবিড়। বতাহে আমনি কৰা চুলি কেইডালো বৰ দুষ্ট হৈ পৰিছিল। চকুৰ আগত পৰি যেন তাইকে জোকাইছিল। কিমান সময় তেনেকৈ আছিল সন্ধ্যা আৰু অনুৰণ এটাইও ক'ব নোৱাৰে। বৰ বেছি সময়ো নহয় চাগে। হঠাৎ বাছ এখনৰ তীব্ৰ হৰ্ণৰ শব্দত উচপ খাই আঁতৰি গৈছিল সন্ধ্যা। অনুৰণেও তেতিয়াহে যেন সম্বিত ঘূৰাই পাইছিল। সন্ধ্যাক তাতে এৰি আগবাঢ়িছিল সি। এখোজ দুখোজ কৈ তাৰ পিছে পিছে আহি আছিল যদিও সন্ধ্যা যেন বাস্তৱৰ পৃথিৱীত নাই। কিছু অন্যমনস্কতা, কিছু লাজ, হয়তো সংশয়। ফ্ৰেচাৰ্ছত গান গাই পৰি যাবলৈ ধৰাৰ পৰা বহু বাৰ অভিমন্যুয়ে তাইৰ হাতত ধৰিছে। তাইও ধৰিছে। কত দিন এমিনিটীত কথা পাতি আঠা লাগি ধৰা অভিমন্যুক হাতত ধৰি তাই নিজেই টানি আঁতৰাইও আনিছে। সিদিনা কাঞ্চনৰ ফুল চিঙিবলৈ তাই ওফোন্দ পাতোঁতে অভিমন্যুয়েই তাইক ধৰি দাঙি দিছিল। হাঁহি হাঁহি তাই ছিঙি আনিছিল সৰু ডাল এটা। কিন্তু ক'তা, তেতিয়াটো তাইৰ এনেকুৱা লগা নাছিল। এতিয়া যেন গোটেই গা টোতে এক বিদ্যুতৰ সঞ্চাৰ হৈ গৈছে। কঁপি উঠিছে কিয় তাই? অলপ ভয় ভয়। নাই, ভয় নহয়। লাজহে চাগে। নাহ, লাজো নহয়। কিন্তু ভয়ো নহয়। সন্ধ্যাই বুজি নাপায়। গোটেই পৃথিৱী খন যেন নতুন হৈ ধৰা দিছে তাইৰ চকুত। ASTC ৰ কাষতে ধুনীয়া সোণাৰু এজোপা আছে। হালধীয়াবোৰে তাইলৈকে চাই হাঁহিছে নেকি বাৰু? বতাহটোও বেছিকৈ বলা নাই নে? সোণাৰুৰ সৰু সৰু পাহিবোৰ উৰি আহিছে। সোণাৰু কেইজোপাই যেন তাইকেই জোকাইছে। প্ৰিয়াহঁতৰ ওচৰ পাইছিলহি যদিও সন্ধ্যা যেন কঁপিয়েই আছিল। তাই মন কৰিছিল অনুৰণেও তাইলৈ

Kaushik

চাব পৰা নাছিল। কিবা এক অজানা অনুভৱে তাকো চাগে বুৰাইছিল। কি অনুভৱ বাৰু এইয়া? কিবা নিজলৈকে লাজ লাগিছে চোন সন্ধ্যাৰ।

"First কৰবাত খাই লওঁ বে। বম ভোক লাগিছে।" অভিমন্যুৰ কথাতে হয়ভৰ জনালে চবেই। ফুৰি মেলি আহোঁতে দেৰিয়েই হ'ব। গতিকে খাই লোৱাটো ভাল। তেজপুৰৰ এখন নাম থকা ৰেস্তোৰাঁ Magnoliya। জোখৰ দাম, খানাও ভাল। তাতে যোৱাটো ঠিক হ'ল সিহঁতৰ। ASTC ৰ প্ৰায় ওচৰতে বাবে খোজ কাঢ়িয়েই যাবলৈ ল'লে সিহঁতে। কেইমিনিট মানৰ পাছতে পালেগৈ। দুই মহলাৰ বিল্ডিংটোৰ ওপৰৰটোত ৰেস্তোৰাখন। লগতে Bar এখনো আছে। Staircase টোত উঠিয়েই দেৱালখনত প্ৰকাণ্ড Blenders Pride ৰ বটলটোৰ ফটো এখন। এই বস্তুটোৱেই সন্ধ্যাই সহ্য কৰিব নোৱাৰে। তাই বুজি নাপাই, মানুহে ইমান পইছা দি এই হানিকাৰক বস্তুবোৰ কিয় খায়। সন্ধ্যাহঁতৰ ঘৰতো নিচাযুক্ত বস্তু খোৱা কোনো নাই। গতিকে এইবোৰ খোৱা মানেই অত্যন্ত বেয়া মানুহ, এইবুলিয়েই জানি আহিছে তাই। মেগনোলিয়াৰ দুটা ভাগ, সোঁফালে Bar খন এৰি বাঁওফালৰ ৰেস্তোঁৰাখনত সোমাল সিহঁত। চাৰিজনীয়াকৈ কেইবাখনো টেবুল। মাজতে ধুনীয়া সৰু সৰু ফুলদানীবোৰ। একেবাৰে চুকত এখন দীঘলীয়া টেবুল আছে। সাত/আঠ জন বহিব পৰা। সন্ধ্যাহঁতৰ দলটো তাতেই বহিলগৈ। অহাৰে পৰা পৰীৰ লগত লাগি থকাৰ বাবে সন্ধ্যাৰ খং উঠি আছে বুলি হয়তো অভিমন্যুয়েও মন কৰিছিল। সেইবাবেই ইচ্ছা কৰিয়েই তাইৰ কাষত বহিল সি।

"তই ইয়াত আহিলি যে, যা আকৌ। তোৰ পৰীৰ পেটলে ভাতেই নাযাব তই নাথাকিলে।"

মুখখন ফুলাই ফুচফুচাই ক'লে সন্ধ্যাই।

"কিন্তু তোৰ লগত নবহিলে যে মোৰ পেটলে ভাত নাযাব।" কথাষাৰ অভিমন্যুয়ে লাহেকৈ কৈছিল যদিও সিহঁতৰ ঠিক সমুখত বহি থকা অনুৰণে মূৰ তুলি চোৱা সন্ধ্যা নাইবা অভিমন্যু এটাইও মন কৰা নাছিল।

"হুঁহ, তেল মাৰিছে এতিয়া" বুলি উঠি গৈছিল সন্ধ্যা। অভিমন্যুয়ে হাতত ধৰি জোৰকৈ বহাই দিলে।

"Washroom যাওঁ অ'। এৰ" হাতখন আঁতৰাই আনিলে সন্ধ্যাই।

"ঠিক আছে, আহি ইয়াতে বহিবি কিন্তু।" অভিমন্যুৰ কথাত জোকালে জুৰিয়ে,

Kaushik

"ৰাহ্, সন্ধ্যা নবহিলে যেন নহ'বয়েই তাৰ"

লগে লগেই সকলোৰে হাঁহি। সন্ধ্যাৰো হাঁহি উঠিছিল। ভাল লাগে, যেতিয়া কোনোবাই অভিমানৰ টোপোলাবোৰ খুলি মৰমবোৰ উলিয়াই লয়। সন্ধ্যা washroom লৈ গৈছিল। আইনাত নিজৰ মুখখন দেখোতেই কিয় জানো আকৌ লাজ লাগিছিল তাইৰ। মুখত ক'ব নোৱাৰাকৈ হাঁহি এটাও ওলমি আছে নেকি বাৰু। হাত ধুই দুৱাৰখন খুলি ওলাই আহিবলে লওঁতেই সমুখত অনুৰণ। মাতোঁ বুলি ভাবোতেই সন্ধ্যাৰ চকুত পৰিল অনুৰণৰ পাতল নীলা টি চাৰ্টটোত বুকুৰ অলপ ওপৰলৈ এটা ৰঙা দাগ। ভাবিবলৈ সময় নালাগিল তাইৰ দাগটো ক'ৰ। দাগটোলৈ আঙুলিয়াই দিলে সন্ধ্যাই।

সিও তেতিয়াহে যেন দেখিলে। তাক তাতে এৰি ভিতৰত বহিলহি তাই। কিছু সময়ৰ পাছত অনুৰণো আহিল। চাৰ্টৰ দাগটো নাছিল তেতিয়া। অলপ পানী লাগি উঠি গৈছিল। তলমূৰ কৰিলে তাই।

হঠাৎ এবাৰ মোবাইলৰ টনটো বাজিল। কাৰোবাৰ মেচেজ। খুলি চালে সন্ধ্যাই,

"White top ture pura mal hoi ahisa jaan"

সেই নম্বৰটো। কৌশিক। ইয়াতো সি কেনেকৈ দেখিছে তাইক। এবাৰ ইফালে সিফালে চালে তাই। কোনো নাই চোন তেনেকুৱা। সন্ধ্যাৰ অস্বস্তি অভিমন্যুয়েও ধৰা পেলাইছিল।

"কি হ'ল তোৰ?"

কৈয়েই দিব নেকি ইয়াক চব? নাই নাই, এতিয়া ফুৰিবলৈ আহিছে। ইয়াত এইবোৰ থাকক। কিন্তু আজিয়েই উভতি গৈয়েই তাক চব ক'বগৈ। মনতে ভাবিলে তাই।

"নাই, একো নাই।" বুলি কৈ থ'লে।

সন্ধ্যাৰ সৰলতাত কোনোবাই কুটিল হাঁহি মাৰিছিল। তাই হয়তো বুজি নাপালে, সেইখিনিতেই তাই বৰ ডাঙৰ ভুল এটা কৰি পেলালে নজনাকৈ।

"কেতিয়া দিব বে খানা, নোৱাৰিছোঁ আৰু।" খোৱা বস্তুৰ প্ৰতি বিশেষ দুৰ্বলতা থকা ৰাজদীপ যেন ৰ'বই পৰা নাছিল। ভাতৰ পৰা আৰম্ভ কৰি ফাষ্ট ফুড লৈকে যিকোনো খানাৰ প্ৰতিয়েই ৰাজেদীপৰ অগাধ প্ৰেম। ইয়াকে লৈ অনুৰণ, অভিমন্যুহতে ভালকৈয়ে জোকাই যদিও তাৰ সেইবোৰলৈ ভ্ৰুক্ষেপ নাই। অৱশ্যে সময়ো যথেষ্ট হৈছিল বাবে

Kaushik

অকল ৰাজেদীপৰে নহয় সকলোৰে লাগিছিল ভোক। সেয়েহে খানা অহাৰ লগে লগেই সাজু হ'ল খাবলৈ। তেনেকুৱাতে সীমাই সকলোৰে শুনাকৈ চিঞৰি উঠিল,

"ঐ ৰ, কোনেও খানা touch নকৰিবি।"

তাইৰ চিঞৰত অকল সন্ধ্যাহঁতেই নহয় ৰেস্তোৰাঁৰ বয় কেইজনো আচৰিত হৈ চাইছিল। হঠাৎ কি হ'ল। সকলোকে আৰু আচৰিত কৰি সীমাই ক'লে,

"ফটো দুখন মান তুলি লওঁ ৰহ।"

হাঁহিত ফাটি পৰিল সন্ধ্যা আৰু জুৰিহঁত। এই সীমাজনী ফটো পাগল বুলি সিহঁতে জানিছিল, কিন্তু এনেকৈ !! এইয়াই ইউনিভাৰ্চিটি জীৱন। নানা ধৰণৰ চৰিত্ৰৰ সমাবেশেই ৰঙীন কৰি তোলে সময়বোৰ।

ভোক লাগি আছিল বাবেই সোনকালেই খাই হ'ল সিহঁতৰ। অৱশ্যে অগ্নিগড় যোৱাৰ plan আছিল বাবে অলপ থৰ খেদাও কৰিছিল সিহঁতে। খাই হোৱাৰ পাছত আইচ ক্ৰীম খাবলৈ উৎপাত লগালে সীমাকে ধৰি গোটেই কেইজনীয়ে। আইচ ক্ৰীম বুলিলে সন্ধ্যা আগৰ পৰাই বলিয়া। কেইদিন যে Essential ত অভিমন্যুৰ গালি খাই খাইও আইচ ক্ৰীম কিনিছে তাই। Magnoliya ৰ তলত থকা আইচ ক্ৰীমৰ cafe খনতে ৰৈ কিনিবলৈ লাগিল সকলো। সজাই থোৱা ৰঙীন আইচ ক্ৰীমবোৰ দেখি যে ইমান ভাল লাগে সন্ধ্যাৰ। এটা এটাকৈ কিনি ওলাই আহি বাহিৰতে ৰৈছিলহি সিহঁত। আইচ ক্ৰীম নোখোৱাৰ সংখ্যাই সৰহ। সন্ধ্যাকে ধৰি কেইজনী মানেহে কিনিছে। vanila flavour ৰ ice softy টো হাতত লৈছিল হে মাত্ৰ সন্ধ্যাই, হঠাৎ টান মাৰি থপিয়াই নিলে অভিমন্যুয়ে। প্ৰথম অৱস্থাত টলকিব নোৱাৰিলেও তাৰ হাতত ice cream টো দেখি দবিয়াই উঠিল তাই,

"কেঁচুৱা নেকি তই, দে মোৰ softy।"

"নোৱাৰ খাব, সিদিনা কাহ ভাল হৈছে হে। আকৌ বেমাৰত পৰিবৰ মন নি।" ওলোটাই দবিয়াই উঠিল অভিমন্যুয়ে।

হয়, exam ৰ মাজতেই অলপ কাহ হৈছিল সন্ধ্যাৰ। অলপ জ্বৰো। সেইদিনা যে আবেলি বেছিকৈয়ে উঠিছিল। ৰুমত বিদিশা বা নাছিল। প্ৰিয়াও শুই আছিল হ'বলা। তাই অভিমন্যুক ফোন কৰিছিল। লগে লগেই সি আহি তাইক লৈ গৈছিল health centre লৈ। তেজপুৰ ইউনিভাৰ্চিটীৰ চৌহদৰ ভিতৰতেই health centre ও আছে। তেজ পৰীক্ষা আদিও কৰা হয় তাত। বেমাৰ দেখুৱাৰ পৰা Attendance মিলাবলৈ চাৰ্টিফিকেট উলিওৱালৈকে

Kaushik

Health Centre সকলোৰে saviour। অভিমন্যুৰ চাইকেলতে গৈছিল সন্ধ্যা। ভোৰভোৰাই আছিল সি।

"কথা ক'লে নুশুন, খালী আইচ ক্ৰীম খাবি, বৰষুণত তিতিবি। মই এনেই কওঁ বুলি ভাব।" আৰু ঢেৰ কিবা কিবি।

"মোক বেমাৰতো গালি দিছ তই" মাতটো যেন থোকা থুকি হৈছিল তাইৰ।

"নাই দিয়া অ'। তই কষ্টত আছ কাৰণেহে কৈছো। অলপ শুনিবিচোন কথাবোৰ।" সি বুজাইছিল। ডং ৰূপালী মেমে চাই দিয়া ঔষধ কেইটা খাই ভালো পাইছিল সন্ধ্যাই। এতিয়াতো সম্পূৰ্ণ ভাল। তেতিয়াই জ্বৰ উঠিছিল বুলি গোটেই জীৱনটো আইচ ক্ৰীম নোখোৱা কৈয়ে কটাব নেকি তাই। চব কথাতে ওস্তাদি ইয়াৰ। বৰ বেছি বেছি কৰে।

"নহ'ব, দে বুলি কৈছোঁ নহয়। ভাল হ'ল মোৰ বেমাৰ।" সৰু ছোৱালীৰ দৰে জেদ ধৰিলে সন্ধ্যাই।

"কথা ক'লে শুনিবি সন্ধ্যা। হাত নলগাবি আইচ ক্ৰীমত।" খঙত মাতটো জোৰকৈ ওলাল তাৰ।

"মই খামেই, মোৰ হে জ্বৰ হ'ব তোৰ কি আহে যায়।" সন্ধ্যাৰ ভিতৰৰ সৰু কণমানি ছোৱালীজনী যেন ওলাই আহিছিল। মুখখন ফুলি উঠিছিল আপোনা আপুনি।

"তোৰ জ্বৰ হ'লে মোৰ কি আহে যায় নতুনকৈ ক'ব লাগিব নেকি?" সন্ধ্যাক প্ৰায় কাষলৈ টানি আনি কৈছিল অভিমন্যুয়ে। এনেকুৱাই সিহঁত। লগ হ'লে কথাত কৈ বেছি কাজিয়া হয়। অৱশ্যে মৰমবোৰ বাঢ়িবলৈ কেতিয়াবা কাজিয়াৰো প্ৰয়োজন হয়। কিছুমানৰ লগত কাজিয়া কৰাটো বেলেগ মজা আছে। অভিমন্যুৰ শেষ কথাশাৰীত একেথৰে চাই ৰৈছিল সন্ধ্যাই তাৰ মুখলৈ।

সন্ধ্যা অভিমন্যুৰ মান অভিমানৰ নাটকখন উপভোগ কৰা বাবে কোনোৱে মন কৰা নাছিল হাতত থকা আধা খোৱা আইচ ক্ৰীমটো দলিয়াই ৰাস্তাৰ ফালে ওলাই গৈছিল পৰী।

(আগলৈ)

#নিৰিবিলি

Kaushik

Part 19

মেগনোলিয়াৰ বাহিৰতে দীঘলীয়া ফুটপাথটো। ৰাস্তাটো পাৰ হৈ পোৱা গলীটোৰে গ'লেই ASTC পাইগৈ। ফুটপাথটোতে বৈ ফোনত কথা পতাত ব্যস্ত পৰী। আইচ ক্ৰীম শেষ কৰি সন্ধ্যাহঁতো ওলাই আহিছিল। আগত অভিমন্যু।

"বঢ়িয়া, আহা তুমি। কিবা হ'লে মই চম্ভালিম।" ৰাস্তাৰ কাষৰ ফুটপাথ টোত বৈ ফোনত কথা পাতি থকা পৰীৰ শেষৰ কথাকেইটা শুনি সুধিলে অভিমন্যুয়ে,

"কি চম্ভালাৰ কথা কৈছা পৰী?"

হঠাৎ থত মত খাই পৰীয়ে উত্তৰ দিলে,

"নাই নাই এনেই" চকু তলমূৰ কৰিলে তাই।

মিছা মাতিছে বুলি গম পোৱাই যায় যদিও বেছিকৈ সোধাৰ প্ৰয়োজন বোধ নকৰিলে সি। কাৰোবাৰ কথা খুচৰি থাকিবলৈ সি ভাল নাপায়। ইমান সময়ে বাকীবোৰো আহি পালেহি। সিহঁত গোটেই কেইটা অগ্নিগড়লৈ বুলি ওলাল। তালৈ যোৱাৰ প্ৰস্তাৱটো পিছে সন্ধ্যাৰে আছিল। অগ্নিগড় সন্ধ্যাৰ সৰুৰে পৰাই প্ৰিয়। বাণ ৰজাৰ ৰাজকোঁৱৰী ঊষা আৰু দ্বাৰকাৰ ৰাজকোঁৱৰ অনিৰুদ্ধৰ অমৰ প্ৰেম গাঁথাৰ সাক্ষী এই অগ্নিগড়লৈ যিমান বাৰেই আহে সিমান বাৰেই যেন এক বিশেষ অনুভৱত পুলকিত হৈ পৰে তাই। তাতে এইবাৰ MIL ৰ Syllabus ত জ্যোতিপ্ৰসাদৰ "শোণিতকুঁৱৰী" পঢ়ি আৰু বেছিকৈ যেন সোমাই আছে কাহিনীটোত। চাৰিওফালে সেউজীয়াৰে আৱৰা এটা সৰু পাহাৰ অগ্নিগড়। তেজপুৰৰ অভিমান হৈ থিয় দি আছে বৰলুইতৰ কাষত। ইয়াৰ শান্ত পৰিৱেশ, পাতল বতাহ জাক, আৰু কাষৰ বৰলুইত খন। নৈ পৰীয়া বতাহজাকে গোটেই দিনটো অগ্নিগড়ৰ প্ৰতিজোপা গছকেই কোবাই থাকে। কোনোবা সময়ত বেছিকৈ বলিলে হুৰহুৰীয়া শব্দ এটাও শুনা যায়। আস্ ! কি যে মাদকতা। তেজপুৰ, সঁচাই এক বেলেগেই নিচা আছে এই চহৰখনত। সকলোৱে এনেই প্ৰেমৰ নগৰী বুলি কয় নে?

অগ্নিগড়ৰ সন্মুখ পাইয়ে বাওঁফালৰ কাউণ্টাৰত টিকট কাটিবলৈ গ'ল সিহঁত। বিছ টকাকৈ টিকেট। আজি বন্ধৰ দিন বাবেই হ'বলা, মানুহো সৰহ। দুই এজন ইউনিভাৰ্চিটীৰ ল'ৰা ছোৱালীও আছে। এৰা, প্ৰিয়জনৰ লগত নিবিড় ভাৱে কিছু সময় পাৰ কৰিবলৈ অগ্নিগড়তকৈ উত্তম স্থান আৰু ক'ত আছে। ছোৱালীৰ লাইনত থিয় হৈ থকা সন্ধ্যাক অভিমন্যুয়ে কাষৰ পৰাই ক'লে,

Kaushik

"তোক টিকট নালাগেতো।"

"কিয়?" আচৰিত হ'ল তাই।

"ইয়াত সৰু ল'ৰা ছোৱালীৰ টিকট নলয়তো। তোক কোঁচতে লৈ যাম মই দে।" গোটেই কেইটাৰ মাজত হাঁহিৰ জোৱাৰ উঠিল তাৰ কথাত।

"ফটুৱামিৰ এটা লিমিট থাকে অভি।" খঙত মুখখন ছিৰিয়াছ যেন কৰি সন্ধ্যাই ক'লে।

"No, ফটুৱামি ইজ আনলিমিটেড।" আকৌ হাঁহি। এইবাৰ সন্ধ্যাৰো হাঁহি উঠিল। সঁচাকৈ কিবা মানে এই ল'ৰাটো। অচল জোকাই থাকে। অৱশ্যে সি নাথাকিলেও খালী খালী লাগে তাইৰ। টিকট লৈ ভিতৰলৈ সোমাবলৈ লওঁতেই চকুত পৰিল ফুচকাৱালা।

"অভি, ফুচকা খাওঁ ব'ল না" সন্ধ্যায়েই ক'লে।

"নালাগে, এতিয়া তাত বিৰিয়ানি গাল মাৰি আহিছ হে। উভতি যাওঁতে খাবি ব'ল।" তাইক হাতত ধৰি টানি নিলে সি।

"তই যে চবতে বেছি বেছি কৰ" বুলি উঠি গ'ল তাইও। কিয় জানো ইচ্ছা কৰিও তাৰ কথা নমনাকৈ থাকিব নোৱাৰে চোন সন্ধ্যাই। ফুচকাৱালা কেইটাৰ কাষতে আৰু সৰু সৰু বেপাৰী কেইজন মান আছে অগ্নিগড়ৰ গেটৰ সমুখত। কাৰোবাৰ তাত ভিন্ন ৰঙী প্লাষ্টিকৰ ফুল, কাৰোবাৰ তাত ম'ৰাৰ পাখি, কাৰোবাৰ তাত বিভিন্ন দেৱ দেৱীৰ ফটো। শ্ৰীকৃষ্ণৰ ফটো এখন নিব লাগিব ৰুমত লগাবলৈ। ভাবি থৈছে সন্ধ্যাই।

গেটখন পাৰ হৈয়ে আৰম্ভ হয় চিৰি বোৰ। এটাৰ পাছত এটাকৈ চিৰিবোৰ একা বেঁকা হৈ গৈ আছে ওপৰলৈ। চাৰিওফালে সেউজীয়া, অকল সেউজীয়া। চিৰিবোৰৰ কাষে কাষে হালধীয়া শিকলি ডাল। তাৰ মাজে মাজে সৰু সৰু চাউণ্ড বক্সবোৰ। তাত অনবৰতে, জ্যোতি সংগীত, ৰাভা সংগীত বাজি থাকে। অগ্নিগড়ৰ পৰিৱেশটো সোণত সুৱগা কৰি তোলে পাতল ভলিউমত বাজি থকা চিৰসেউজ গীতবোৰে। সন্ধ্যাহঁত সোমাওঁতেও বাজি আছিল জ্যোতি সংগীত এটি,

".....লানিকৈ ৰুলে ঐ গছৰ শাৰী,

সেউজী গছতে সোণৰ গুটি....

সেউজীয়া........"

Kaushik

সন্ধ্যাৰ মনত পৰিছিল আগতে স্কুলত শিল্পী দিৱসত কিমান বাৰ যে গাইছিল এই গীতটি। ওপৰলৈ উঠি গৈ আছিল সিহঁত। গ্ৰুপটোৰ বেছি ভাগেই আগতে ইয়ালৈ অহা নাছিল বাবে এই নতুন দৃশ্যত যেন আচৰিত হৈছিল। মধ্য অসমৰ বাসিন্দা হিচাপে যেন ঠাইবোৰ দেখুৱাই গৰ্ব হৈছিল সন্ধ্যাৰ। অগ্নিগড়ৰ কাহিনী বহুতেই নজনাৰ বাবে ভিতৰলৈ গৈ থাকোঁতেই কৈ গৈছিল সন্ধ্যাই। বাণ ৰজাৰ জীয়ৰী ঊষাক বন্দী কৰিবলৈ নিৰ্মাণ কৰা এই অগ্নিয়ে ঘেৰি ৰখা গড়টোৰ কথা, ঊষাৰ সখী চিত্ৰলেখাই দ্বাৰকাৰ পৰা অনিৰুদ্ধ কোঁৱৰক হৰণ কৰি অনা, হৰিহৰৰ ভয়ংকৰ যুদ্ধৰ কাহিনী সকলোবোৰ। সন্ধ্যাই শুনা মতে তেজপুৰ নাইবা শোণিতপুৰৰ নাম হেনোঁ আগতে বাণপুৰ নে কন্যাপুৰহে আছিল। ঊষানগৰ বুলিও কোৱা হয় অৱশ্যে। আটাইবোৰে মন্ত্ৰমুগ্ধ হৈ শুনি গৈছিল ঊষা অনিৰুদ্ধৰ প্ৰেম কাহিনী। এইবাৰ গৈ সিহঁত একেবাৰে ওপৰ পালেগৈ। মুকলি ঠাই ডোখৰৰ পৰা ব্ৰহ্মপুত্ৰখন ধুনীয়াকৈ দেখি।ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য দেখি বিভোৰ হৈ পৰিল সিহঁতবোৰ। লগতে হুৰহুৰ বতাহজাক। বিভিন্ন মানুহেও ভৰি আছিল ঠাইখিনি। কোনোবাই পৰিয়ালৰ সৈতে, কোনোবা প্ৰিয়জনৰ সৈতে। কেইটামান সৰু সৰু ল'ৰা ছোৱালীও দৌৰি ফুৰিছে। ওখ গছজোপাৰ তলতে নিমিষা আৰু সীমাৰ লগত হাঁহি কথা পাতি আছে অভিমন্যুয়ে।

"সীমা এদিন বয় ফ্ৰেণ্ডৰ লগত আহিবি আকৌ ইয়ালে। দেখিছ নাই কিমান ৰোমাণ্টিক জাগা" অভিমন্যুয়ে ক'লে।

"হৈছে আৰু, সি যি হে ব'ৰ। ক'ত আহিব? হ'লেও মই ক'ম ৰহ" সীমাৰ কথাত হাঁহিলে সিহঁতে। বেচেৰা বয় ফ্ৰেণ্ডটো। সীমাৰ কমখন ভাওনা সহ্য কৰিব লগা হয় নে সি।

ইফালে গছ জোপাৰ কিছু কাষতে বেঞ্চখনতে ৰাজদ্বীপ বহি আছিল মনশ্ৰীহঁতৰ লগত। তাৰ হাতত পপকৰ্ণৰ পেকেট এটা।

"নোখোৱাকৈ থাকিবই নোৱাৰা মানে ন তুমি?" মনশ্ৰীৰ কথাত প্ৰিয়াহঁতৰো হাঁহি উঠিল। ৰাজৰ ভোক এতিয়া সকলোৰে চিনাকি।

"মানুহে কেতিয়াও পেট খালী হ'বলে দিব নালাগে বুইছা"

"এইমাত্ৰ ফুল প্লেট বিৰিয়ানি খাই আহিছা, পেট নে কি বাৰু তোমাৰ" প্ৰিয়াই হাঁহি ক'লে। সকলো তেনেদৰেই পৰিৱেশটোৰ লগত ব্যস্ত হৈ পৰিছিল।

Kaushik

সকলোৰে অন্যমনস্কতাৰ সুযোগ লৈ সন্ধ্যাই অনুৰণৰ কাষ চাপি সুধিলে,

"কেনে পালা, ঊষা অনিৰুদ্ধৰ লাভ ষ্টৰী?"

"চালাক আছিল সিহঁত দুইটা।"

সন্ধ্যা আচৰিত হৈছিল তাৰ উত্তৰত।

"কিয়?"

"প্ৰেম কৰিছিল সিহঁতে, আৰু বাকী গালক যুদ্ধ লগাই মাৰিলে।" অনুৰণৰ উত্তৰ।

"হাৰে ইমান আন ৰোমান্টিক কিয় তুমি, সিহঁতৰো কষ্ট হৈছিল না, বন্দী কৰি থৈছিল।" সন্ধ্যাৰ যুক্তি।

"হ'লেও বাকীবোৰতো এনেই মৰিল সিহঁতৰ so called প্ৰেমৰ নামত।"

কথাষাৰে সন্ধ্যাকো ভবাই তুলিলে। হয়তো, এনেকুৱা কথাবোৰ আজিলৈকে চোন তাই ভবাই নাছিল। কেৱল প্ৰেমৰ নামতেই এনে বিধ্বংসী যুদ্ধৰ অৱতাৰণা উচিত আছিল নে? প্ৰেম মানে অকল প্ৰাপ্তিয়েই জানো? কথাখিনি বেলেগে কোৱা হ'লে হয়তো তাই ইমান নাভাবিলে হেঁতেন। কিন্তু অনুৰণ যে বেলেগতকৈ বেলেগ। অৱশ্যে ইয়াত বাণৰজাক পৰাস্ত কৰাৰ উদ্দেশ্যও নিহিত আছিল চাগে।

"বাৰু সেইবোৰ বাদ দিয়া, ঊষা অনিৰুদ্ধৰ প্ৰেম কেনেকুৱা পালা? প্ৰথমে সপোন, তাৰ পাছত বিয়া।" সন্ধ্যাই হাঁহি হাঁহি সুধিলে। তাই জানে এই ধৰণৰ ৰোমান্টিক টপিক অনুৰণে বেয়াই পাই, সেই বাবে তাক জোকাবলৈকে সুধিছিল।

"এইবোৰতো কাহিনী, প্ৰেমক লৈ কাহিনী লিখিবলৈ সহজ। কিন্তু কাহিনীৰ নিচিনাকে প্ৰেম কৰাটো সহজ নহয়।" অলপ হঁহাৰ দৰে কৰি অনুৰণ আঁতৰি গৈছিল। ৰৈ গৈছিল সন্ধ্যা তাতেই। "কাহিনীৰ নিচিনাকে প্ৰেম কৰাটো সহজ নহয়" কথাষাৰে যেন চুই গৈছিল তাইক। প্ৰেমৰ এনে বাস্তৱ বৰ্ণনা, তাকো অনুৰণৰ মুখত। অলপ সময় তালৈকে চাই ৰৈ আছিল তাই। চাউণ্ড বক্সটোত বাজি আছিল ৰূপকোঁৱৰৰ আন এটি গীত "আমাৰে সখীয়া"ৰ কলি,

"দিঠকৰ বাতৰি সপোনত মিলিলে

আছিল সখী বাটে চাই,

Kaushik

ফাগুণৰ বতাহে গাতে ছাটি মাৰে

গাতে ছাটি মাৰি যায়,

অ' গাতে ছাটি মাৰি যায়...."

সিহঁতৰ কিছুমান চিমেণ্টেৰে বনাই থোৱা ওখ স্তম্ভটোলৈ উঠি গৈছিল, য'ৰ পৰা ব্ৰহ্মপুত্ৰৰ সম্পূৰ্ণ ভিউটো দেখা যায়। আন ফালে তেজপুৰ নগৰৰ একাংশও।

"আচ্ছা মোক এটা কথা ক না" কেতিয়া অভিমন্যু আহি ওচৰ পালেহি গম নাপালে সন্ধ্যাই।

"কি কথা?"

"এই ঊষা বোলাজনী দেখাত কিছু item আছিল চাগে না? দ্বাৰকাৰ ল'ৰা পতি গৈছে।"

তাৰ কথাৰ সুৰত মাথাটো গৰম উঠি আহিল সন্ধ্যাৰ,

"কিয়, তই বিচাৰি যাম ভাবিছ নেকি?"

"মই আকৌ বেলেগ কেলে বিচাৰিম? তই আছই চোন।" দুষ্টালিৰ হাঁহি তাৰ।

"ছিহ, আঁতৰ হ অসভ্য।" সন্ধ্যাই ঠেলা এটা মাৰি আঁতৰি গৈছিল।

"ঐ, ৰ না, শুন চোন।" পিছে পিছে গৈছিল অভিমন্যু। তাই দৌৰিছিল।

অনুৰণে একে থিৰে চাই ৰৈছিল দৌৰি যোৱা সন্ধ্যাৰ ফালে। বতাহত উৰি যোৱা চুলি, প্ৰাণ চঞ্চলা হাঁহিৰ সন্ধ্যাক দেখিলে যিকোনো ল'ৰায়েই প্ৰেমত পৰিবলৈ বিচাৰিব। দৌৰোতে আউলী হোৱা চুলিখিনি ঠিক কৰি কাণৰ কাষলৈ নিছিল তাই। মাজে মাজে হাঁহি। গানটোও বাজিয়েই আছিল পাতল সুৰত,

"আমাৰে সখীয়া আকুল বিয়াকুলে

সপোনৰ হাঁহিটি চাই......"

দৌৰি গৈ এপাকত সন্ধ্যাক হাতত ধৰি টানি আনিছিল অভিমন্যুয়ে, "শুন না"। "যাহ এইডাল" বুলি আকৌ আঁতৰে তাই। তেনেকুৱাতে ৰাজেদীপ অনুৰণৰ কাষ পাইছিলহি,

"ইহঁতৰ মাজত কিবা চলি হে আছে নেকি ঠিক নাই"

"হেই, বলিয়া নেকি তই, খুব ভাল friendship সিহঁতৰ।" অনুৰণে ক'লে।

Kaushik

"হ'লেও এনেকুৱা দেখা নাই আৰু দেই ক'তো। ইমান মিল একেবাৰে" কাষতে ৰৈ থকা বিশ্বজিতে যোগ দিলে।

"কিয়, তোক পাত্তা নিদিয়াৰ কাৰণে জ্বলিছ নেকি?" তাক ঠাট্টা মৰাৰ সুযোগ টো ইয়াতো নেৰিলে অনুৰণে। গোটেইকেইটাৰ হাঁহিত উচাৎ মাৰি আঁতৰি গ'ল বিশ্বজিৎ।

বেলেগে যিয়েই নকওঁক অনুৰণে অন্ততঃ জানে সন্ধ্যা আৰু অভিমন্যুৰ সম্পৰ্ক একেবাৰেই নিষ্পাপ। তাৰ মতে তাত প্ৰেমৰ জটিলতা থাকিবই নোৱাৰে, কাৰণ সন্ধ্যাই যে.....!!!

লাহে লাহে আবেলি নামি আহিছিল। লগে লগে অগ্নিগড়ৰ শোভাত যেন এক হেঙুলীয়া পৰশ পৰিছিল। গছৰ সেউজীয়া পাতবোৰত যেন বেলিটোৱে জিৰাইছিল। ৰান্ধনি বেলিটোৰ যোৱাৰ পৰত লুইতখনো ৰঙীন হৈ পৰিছিল। সঁচাই, সামৰণিও যে মনোৰম হ'ব পাৰে, সূৰ্য্যাস্তয়েই তাৰ প্ৰমাণ।

দৌৰি থকা সৰু মৰম লগা ল'ৰা এটাক কোঁচত তুলি লৈছিল সন্ধ্যাই। অভিমন্যুয়েও কাষতে ৰৈ মৰম কৰিছিল। এপাকত সন্ধ্যাক এৰি অভিমন্যু অনুৰণহঁতৰ ওচৰ পাইছিল হি। নিমিষা, জুৰি, সীমাহঁতেও নিজৰ মাজতে ফটো উঠাত ব্যস্ত আছিল। লাহে লাহে গোটেইকেইটা স্তম্ভটোৰ ওপৰ পালেগৈ। ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্যত পাহৰি গৈছিল সপ্তাহটোৰ অৱষাদ। মাজে মাজে হাঁহিৰ খোৰাক, কথা বতৰাৰ গুণগুণনিয়ে পৰিৱেশ টো ভৰাই তুলিছিল। কিছু সময় তেনেকৈয়ে পাৰ হ'ল। অলপ পাছত গেট বন্ধ কৰিব তাৰ আগতেই ওলাব লাগিব ইয়াৰ পৰা। এবাৰ সীমাই সকলোৱে শুনাকৈ চিঞৰি ক'লে,

"চব এই ফালে আহ না, এটা group selfie লওঁ।"

এটা এটাকৈ আঁতৰত থকা বোৰো ওচৰ চাপি আহিল। সীমা মোবাইল লৈ সাজু হ'লেই। তেনেকুৱাতে অভিমন্যুয়ে মন কৰিলে সন্ধ্যা সিহঁতৰ মাজত নাই। ইফালে সিফালে চাইও তাইক নেদেখি কৈ উঠিল,

"সন্ধ্যা নাই যে, কলৈ গ'ল?"

"আহিব দিয়া তাই, আহা selfie টো উঠি লওঁ।" বিৰক্তিৰে পৰীয়ে ক'লেও সন্ধ্যাৰ নাম লৈ জোৰেৰে চিঞৰি উঠিল অভিমন্যুয়ে।

"সন্ধ্যা........"।

Kaushik

কিন্তু একো উত্তৰ নাহিল। তললৈ নামি আহিল সিহঁত। মুকলি ঠাই ডোখৰত বিচাৰি চালে। নাইচোন। প্ৰিয়াই ফোন লগাইও চাইছিল। কাটি দিছে ফোন। কাটি কিয় দিছে? ক'ৰবালৈ গ'লেতো কৈ যাব পাৰে। অনুৰণে এবাৰ gate লৈ গৈয়ো বিচাৰি চালে, কিন্তু নাপালে। জুৰিহঁতেও "সন্ধ্যা, সন্ধ্যা" বুলি দুবাৰ মান অলপ ইফালে সিফালে গৈ মাতিলে। কিন্তু একো লাভ নহল। লাহে লাহে এন্ধাৰো হ'ব ধৰিছিল। এইফালে বতৰটোও চোন গোমা হৈ আহিছে। ক'লা ডাৱৰ কেই চপৰা আহি আহি থূপ খাইছেহি। কিন্তু সন্ধ্যা নাই যি নাইয়েই। এক অজান আশংকাত অভিমন্যু যেন কঁপি উঠিল। কিয় জানো তাৰ মনে কৈছিল কিবা এটা যেন বেয়া হ'বলৈ গৈ আছে। সি তাইৰ লগতেই আছিল। অলপ সময়ৰ বাবে মাত্ৰ আঁতৰি গৈছিল। এইকণ সময়তে তাই নোহোৱা হ'ল। ক'লৈ গ'ল বাৰু তাৰ সন্ধ্যা ??

(আগলৈ)

kaushik

#নিৰিবিলি

Part 20

ইমান সময়ে হাঁহি ফূৰ্তি কৰি থকা ল'ৰা ছোৱালীখিনিক হঠাৎ এক অজান আশংকাই ঘেৰি ধৰিলে। যিজনী সন্ধ্যাই দাঁতত ভাত এটা লাগিলেও অভিমন্যুক কয়, তাই তাক একো নোকোৱাকৈ ক'ত যে নোহোৱা হৈ গ'ল। তাইতো সৰু ছোৱালী নহয় যে কিবা দেখি তাতেই ৰৈ যাব। ইমানখিনিৰ মানুহৰ মাজৰ পৰা কোনেও জোৰ কৰিও নিব নোৱাৰে। তেন্তে? জুৰি আৰু প্ৰিয়াই বাৰে বাৰে ফোন কৰিয়েই আছে। নাই, প্ৰতি বাৰে কাটি দিছে। কিবা ডাঙৰ বিপদত পৰিল নেকি বাৰু সন্ধ্যা?

সন্ধ্যা নোহোৱা হোৱা মাত্ৰ ১০/১৫ মিনিট মানহে হৈছিল যদিও সকলোৰে এনে লাগিল যেন ১ ঘন্টাত কৈও বেছি হল। অভিমন্যুৰ ধৈৰ্য্য যেন হেৰাই গৈছিল লাহে লাহে। এসময়ত পৰিৱেশ পাহৰি সি চিঞৰি উঠিল "সন্ধ্যা....." বুলি। চাৰিওফালে থকা মানুহবোৰে জুমি জুমি চাইছিল। এটা হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। ৰাজদ্বীপহঁতে ওখ স্তম্ভটোৰ ওপৰলৈ গৈও চকুত পৰা ঠাই সকলোলৈ চালে। নাই, ক'তোৱেই নাই।

সময় পাৰ হোৱাৰ লগে লগে অভিমন্যু আৰু অধৈৰ্য হ'ল,

"চব মোৰেই ভুল। তাইক অকলে এৰিবই নালাগিছিল।"

অনুৰণে বুজাবলৈ লাগিল তাক,

"ইমান অধৈৰ্য নহ'বা, আছে সন্ধ্যা। এনেকৈ ইয়াত ৰৈ থকাত কৈ আমি মানুহক সুধি চাওঁ।"

লগে লগে সিহঁত আটাইবোৰে মোবাইলত সন্ধ্যাৰ ফটো উলিয়াই এফালৰ পৰা মানুহক সুধিবলৈ লাগিল। অগ্নিগড়ৰ ওপৰৰ সিহঁত থকা ঠাইখিনিতে স্তম্ভটোৰ তলত এখন দোকানো আছিল। পপকৰ্ণৰ পৰা চিপচ, শীতল পানীয়লৈকে সকলোবোৰ পোৱা যায় তাত। জুৰিহঁতে তাৰ দোকানীজনকো সন্ধ্যাৰ ফটো দেখুৱাই সুধিলে। নাই, তেওঁ দেখা নাই। সন্ধ্যাই কোলাত লৈ মৰম কৰা সৰু ল'ৰাটো আৰু তাৰ মাককো অভিমন্যুয়ে সুধিছিল, তেওঁলোকেও তাইক দেখা নাই। অনুৰণ এবাৰ তললৈ গ'ল। গেটৰ বাহিৰৰ ফুচকা দোকানীজনৰ পৰা বাকী ফুলৰ দোকানীকেইজনলৈকে সকলোকে সুধিলে সি। নাই, কোনেও তাইক ওপৰলৈ যোৱাৰ পাছত তললৈ অহা দেখা নাই। সময় পাৰ হৈ গৈ আছিল। এসময়ত পৰীয়ে এজন মানুহৰ পৰা গম পালে সন্ধ্যা কোনোবা ল'ৰা এজনৰ লগত অগ্নিগড়ৰ ভিতৰৰ সেই নিৰ্জন ফালে থকা বেংছটা কেইটাৰ ফালে গৈ আছিল বুলি। অগ্নিগড়ৰ এলেকাটো যথেষ্ট ডাঙৰ যদিও মানুহ সাধাৰণতে চিধাই ওপৰলৈ আহে য'ৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ ভিউ টো সম্পূৰ্ণকৈ দেখা পোৱা যায়। তাৰ উপৰিও কাষে কাষে অন্যান্য ঠাই সমূহো আছে। এফালে হৰিহৰৰ যুদ্ধৰ প্ৰতিমূৰ্তি, এফালে মহাদেৱৰ শিৰেদি গংগা বৈ যোৱাৰ দৃশ্য, এফালে আকৌ ঊষা অনিৰুদ্ধৰ গন্ধৰ্ব বিবাহৰ মূৰ্তিও আছে। তাৰ মাজে মাজে কিছু আচুতীয়া এলেকাও আছে অলপ তললৈ। য'ত সাধাৰণতে মানুহৰ সমাগম নহয়। সেই বাবেই কিছু প্ৰেমিক প্ৰেমিকাই মূল ঠাইখিনিৰ কাষৰ তেনে নিৰ্জন এলেকা বোৰত যায়। কিছু সময় নিজৰ প্ৰিয় জনৰ লগত অন্তৰংগ মূহুৰ্ত কটাবৰ বাবেই তেওঁলোকে তেনে নিৰ্জন পৰিৱেশ বিচাৰি লয়। আৰু বেলেগ মানুহেও তেনেকৈ সেইফালে নাযায় বাবে বেছি হাই উৰুমিও নাই তাত। শান্ত পৰিৱেশৰ মাজত অগ্নিগড়ৰ বুকুত প্ৰেমাস্পদৰ সৈতে কিছু সময় পাৰ কৰিবলৈ সেই ঠাইবোৰ যেন অতি উপযুক্ত। মানুহ জনে সন্ধ্যা যিফালে গৈছে বুলি কৈছিল সেইখিনিও সেই নিৰ্জন এলেকাৰ ভিতৰতে পৰে। মূল ঠাইখিনিৰ কাষেৰে নামি যোৱা ৰাস্তা এটাৰ পৰা তললৈ গ'লেই পাই বেংগছটা আকৃতিৰ কেইটামান মূৰ্তি। তলতে বহিবও পাৰি। বেংচটা মূৰ্তি কেইটাৰ আঁৰ লৈয়ে কিছু নিবিড় সময় কটাই সকলোৱে। কেতিয়াবা অন্যলোকো যায় যদিও খুব কম। গ'লেও দুই এখন ফটো উঠিবৰ বাবেহে। আগতে এবাৰ ইয়ালৈ অহাৰ বাবে অভিমন্যুয়ে জানে অগ্নিগড়ৰ চৌপাশ। কিন্তু সন্ধ্যা

Kaushik

সেইফালে কিয় যাব, তাকো কোনোবা ল'ৰাৰ লগত !! কথাবোৰ যেন কাৰো বিশ্বাস হোৱা নাই। তাতে সিহঁতৰ লগত অহা গ্ৰুপৰ গোটেইকেইটা ল'ৰাতো তাতেই আছে। আৰু ইয়াততো সন্ধ্যাৰ কোনো চিনাকিও নাই। তেন্তে অচিনাকি ল'ৰাৰ লগত সন্ধ্যা যোৱাৰ টো প্ৰশ্নই নুঠে। সেয়ে অভিমন্যুয়ে পৰীক ক'লে,

"পাগল হৈছা নেকি তুমি? তাই কেলে সেইফালে যাব তাকো কোনোবা ল'ৰাৰ লগত?" তাৰ যেন খং উঠিছিল।

"হাৰে, মানুহজনে দেখিছে বুলি কৈছে আকৌ, আমি গৈ চাই অহাত কি আপত্তি?" পৰী যেন অধিক বিশ্বাসী।

"ঠিকেই এবাৰ গৈ চাই অহাই ভাল।" ৰাজেদীপেও ক'লে। এৰা, থাকক নাথাকক মানুহজনে কৈছে যেতিয়া এবাৰ চাই অহাই ভাল। অগত্যা সকলো সেই ফালেৰেই আগবাঢ়িল।

"ব'লা বাৰু, কিন্তু মই জানো সন্ধ্যা তাত নাই। কাকো নোকোৱা কৈ অচিনাকি ল'ৰাৰ লগত কেতিয়াও নাযায় তাই।" অভিমন্যুৰ সন্ধ্যাৰ ওপৰত বিশ্বাস দেখি কোনোবাই যেন কুটিল হাঁহি মাৰিছিল। অকল তাৰেই নহয়, বাকীবোৰৰো বিশ্বাস আছিল যে সন্ধ্যা তেনেকৈ যাৰে তাৰে লগত গুছি নাযায়। বেংগছটা কেইটাৰ ওচৰ পাই কেইবাটাও যোৰা তাত বহি থকাৰ উমান পালে সিহঁতে। কিন্তু আঁৰ হৈ থকাৰ বাবে কাকো ধৰিব পৰা নাছিল। অধৈৰ্য হৈ অভিমন্যুয়ে চিঞৰি উঠিল,

"সন্ধ্যা......"

ঠিক তেনেকুৱাতে অভিমন্যুকে ধৰি সিহঁতৰ গোটেইবোৰকেই আচৰিত কৰি এটা ল'ৰাৰ হাতত ধৰি চুকৰ বেংগছটাৰ মূৰ্তিটোৰ পৰা ওলাই আহিছিল সন্ধ্যা। আউল বাউল চুলিৰে কিছু কঁপি থকা সন্ধ্যাৰ ডিঙিৰ ৰঙা মাফলাৰখনো আছিল সেই ল'ৰাটোৰ হাতত। সকলোৰে যেন চকুৰ পলক জপাবলৈও পাহৰি গৈছিল। সীমা, জুৰি, নিমিষাহঁতে চিনি পোৱা নাছিল যদিও অনুৰণ অভিমন্যুহঁতে ভাল দৰেই চিনি পাইছিল তাক।

"কৌশিক....??" আচৰিত হৈ কৈছিল অনুৰণে।

হয়, সেই ল'ৰাটোৰেই আছিল কৌশিক। কৌশিক ফুকন। ক্লাছত সকলোতকৈ দেৰিকৈ আহি একেবাৰে শেষৰ বেঞ্চত বহা, প্ৰথম দিনা আহিয়েই ডিপাৰ্টমেন্টৰ চিনিয়ৰৰ লগত

Kaushik

কাজিয়া লাগি HODৰ ৱাৰ্নিং খোৱা, বেছি সময় মদ, চিগাৰেট, ভাঙৰ মাজতে ব্যস্ত থকা কৌশিকৰ লগত ক্লাছৰ বেছি ভাগ ছোৱালীৰে চিনাকি নাছিল। কোনো কোনোৰ মতে সি হেনো ড্ৰাগছৰ প্ৰতিও আসক্ত। যোৱা দিনবোৰত খুব কম ক্লাছহে attend কৰিছিল সি। খুব বেছি চাৰিটা মান হ'ব। ৰোলকল কৰোঁতে সদায় এজন ৰৈ যোৱাটো জানিছিল সকলোৱে। কিন্তু ক্লাছত নাম মাতি কোনেও ৰোলকল নকৰে বাবে নামটো জনা নাছিল। কৌশিক সিহঁতৰ ক্লাছৰ হোৱাটচ এপ গ্ৰুপতো নাই। অভিমন্যুয়ে দুবাৰ মান খুজিছিল তাৰ নম্বৰ। কিন্তু সি "মোক এইচব গ্ৰুপত নোসোমোৱাবা" বুলি কৈ আঁতৰি আছিল। আনকি দুটা কে exam ও দিয়া নাছিল সি। সেইবাবেই ক্লাছৰ বেছি ভাগৰ লগতে কৌশিক অপৰিচিত আছিল। এইবোৰ গুণৰ বাবেই কৌশিকক কোনেও লগ ধৰা নাছিল আজিৰ প্লেনটোত। অৱশ্যে লগ ধৰিলেও যে সি নাহে সকলোৱে জানে। তেনে এটা ল'ৰাৰ লগত সন্ধ্যাৰ চিনাকি কেনেকৈ? তাকো এনেকুৱা পৰিৱেশত তাৰ লগত অকলে, এই অৱস্থাত। কাকো নোকোৱাকৈ? সিহঁত গোটেইবোৰ যেন বোবা হৈ গৈছিল। কি ক'ব, কাক ক'ব কোনেও একো বুজি পোৱা নাছিল। কি প্ৰতিক্ৰিয়া দিব ভাবি নাপাওঁতেই কৌশিকে নিলাজৰ দৰে মাত লগালে,

"Come on guys, অলপতো বুজিবৰ try কৰা। couplesৰ privacyক respect কৰিব লাগে বে।" মুখত চুইংগাম, হাতত ক'লা মণি, বুকুলৈকে খোলা চাৰ্টৰ সৈতে বেপেৰুৱা সাজৰ কৌশিকৰ কথাই আৰু আচৰিত কৰিছিল সিহঁতক। "couples" বুলি কৈ কি বুজাব বিচাৰিছে ই? আৰু সন্ধ্যা কিয় নিশ্চুপ? ইতিমধ্যে কৌশিকৰ হাত সন্ধ্যাৰ কঁকাল পাইছিল। কিন্তু সন্ধ্যা যেন নিষ্প্ৰাণ হৈ আছে। এটা অচিনাকি ল'ৰাই কঁকালত ধৰি টানি অনাৰ পাছতো যন্ত্ৰ হৈ ৰৈ আছিল তাই একেথৰে। মেলা চুলিৰে একে ফালেই চাই ৰৈ আছে তাই। চকুকেইটা ৰঙা পৰি আছে। গালত চকুপানীৰ শুকান দাগ। অভিমন্যুৰ যেন আৰু সহ্য নহ'ল। নামি গ'ল সি। সিহঁতৰ ওচৰলৈ গৈ সন্ধ্যাৰ হাতত ধৰিবলৈ লওঁতেই কৌশিকে আগভেটি ধৰিলে,

"Excuse me অভিমন্যু, তুমি মোৰ gfৰ হাতত ধৰিব চাইছা যে, manners বোলা বস্তুটো নাই নেকি?" তাৰ মুখৰ পৰা অকটা গোন্ধ এটাও নাকত লাগিলহি অভিমন্যুৰ।

GF...?? কৌশিকৰ এটাৰ পাছত এটা কথাই যেন বজ্ৰপাতৰ দৰে পৰিছিল সকলোৰে কাণত। সকলোৱে জানে সন্ধ্যা কাৰো লগত প্ৰেমৰ সম্পৰ্কত নাই। অভিমন্যুয়ে ইয়াকে লৈ "তোৰ নিচিনা কেঁচুৱা এজনীক কোনে পতাব" বুলিও জোকায়। তেনেস্থলত তাই

Kaushik

কৌশিকৰ প্ৰেমিকা?? সকলো বেছিকৈ আচৰিত হৈছিল সন্ধ্যাই মুখেৰে একো নমতাত। এনে গোকাট মিছা কথা এটাত তাই মনে মনে কিয় আছে?

"Enough কৌশিক, বহুত নাখৰামি হ'ল। এৰা সন্ধ্যাক।" অভিমন্যুৰ চকুত যেন জুইহে জলিছে। খঙত কথাকেইটাও কঁপি ওলাইছে তাৰ। যেন এইমাত্ৰই কাৰোবাক মাৰি মষিমূৰ কৰিব সি।

"সন্ধ্যা এতিয়া মোৰ"

কৌশিকৰ এইটো কথাত আৰু ধৈৰ্য ধৰিব নোৱাৰিলে অভিমন্যুয়ে। সকলোৰে সমুখতে কৌশিকৰ চাৰ্টত ধৰি মুখলৈ ঘোঁচা টোৱালে সি। ঘোঁচাটো কৌশিকৰ মুখতেই পৰিলহি হেঁতেন। তেনেকুৱাতে অনুৰণে ধৰিছিলহি অভিমন্যুক। এনেকুৱা এটা হ'ব বুলি সন্দেহ কৰিছিলেই সি। এই সময়ত জোকাই লোৱা মানে নিজলৈয়ে বিপদ বুলি কৌশিকেও বুজি পাইছিল চাগে। এইবাৰ আঁতৰি গ'ল সি।

"ব'ল সন্ধ্যা।" সন্ধ্যালৈ চাই অভিমন্যুয়ে ক'লে। কিন্তু তাই নিৰ্বিকাৰ। চকুৰ পলক জপাবলেও পাহৰি গৈছে সন্ধ্যাই। একেথিৰে চাই আছে। গালত শুকান হৈ থকা চকুপানীৰ বাটটোৰে আকৌ বৈ আহিছে এটোপাল। চকুৰ কাজলৰো যেন এতিয়া অস্তিত্ব নাই। অভিমন্যুৰ কথা যেন কাণত সুমুৱাই নাই। শেষত আন উপায় নেদেখি সন্ধ্যাক হাতত ধৰি টানি লৈ আনিলে সি। কৌশিকৰ হাতৰ পৰা মাফলাৰখন আজুৰি আনি তাইৰ গাত দি খৰ খোজেৰে বাহিৰলৈ আনিছিল অভিমন্যুয়ে। এবাৰলৈও সন্ধ্যাৰ হাত এৰি দিয়া নাছিল। বাকীবোৰো সিহঁতৰ পিছে পিছে তললৈ আহিল। সকলোৰে মুখত এটাও মাত নাছিল। মনত আছিল হাজাৰ প্ৰশ্ন। জুৰি আৰু প্ৰিয়াই সুধিছিল যদিও সন্ধ্যা নিশ্চুপ। শেষলৈ সিহঁতেও একো নোসোধা হ'ল। দিনটোৰ মধুৰতাখিনি ক'ৰবাত হেৰাই গৈছিল। অগ্নিগড়ৰ বতাহজাকো যেন বৰ আচৰিত ধৰণে বলিছিল। এন্ধাৰ নমাৰ লগে লগে অগ্নিগড়ৰ লাইটবোৰো জ্বলি উঠিল। ক'লা ডাৱৰবোৰে আকাশখন সম্পূৰ্ণকৈ ঘেৰিছিল। মাজতে এটা গাজনি। সন্ধ্যাক ধৰি থকা হাতৰ মুঠিটো জোৰকৈ ধৰিলে অভিমন্যুয়ে। সিহঁত আহি বাহিৰ পালেহি। বাহিৰত ৰিক্সা, টেম্পুবোৰৰ শাৰী লাগি আছে। ইয়াৰ পৰাই টেম্পু এখন লৈ ASTC লৈকে যাব পৰা যাব। তাত ইউনিভাৰ্চিটী বাছ পাবই।

"খুব জোৰেৰে বৰষুণ আহিব যেন লাগিছে।"

Gate keeper জনৰ কথা কাণত পৰিছিলহি সকলোৰে। বৰষুণ আহক বা নাহক সকলোৰে মনবোৰ এতিয়া ডাৱৰীয়াই। প্ৰশ্ন অযুত, কিন্তু উত্তৰবিহীন। কিছুমান প্ৰশ্নৰ উত্তৰ মানুহৰ হাতত নাথাকে চাগে। সময়েহে বেছি ভালকৈ দিয়ে উত্তৰ। সিহঁত যোৱাৰ পাছত সফলতাৰ হাঁহিৰে কৌশিকো নামি আহিল তললৈ। কাষতে ৰখা বাইকখনত উঠি হেলমেটটো পিন্ধি ল'লে। মোবাইলটো উলিয়াই কাৰোবলৈ মেছেজ type কৰিলে,

"Thanks, plan success."

(আগলৈ)

#নিৰিবিলি

Part 21

বাছখনত মানুহ বৰ বেছি নাছিল। সিহঁত আটাইবোৰেই ছিট পালে। ইয়াৰ পাছৰ ৭ আৰু ৮ বজাৰ বাছকেইখনত হে বেছি মানুহ হয়। ঠেলা হেঁচাও হয়। ষ্টাৰ্ট দিবলৈ অলপ সময় আছিল। আন্ধাৰ হৈ থকা বাছৰ ভিতৰখন পাতলকৈ পোহৰাইছিল বাহিৰৰ দোকান তথা ASTC ৰ লাইটবোৰে। মাজে মাজে দুই এটা গাজনি। এজন দুজনকৈ ল'ৰা ছোৱালী আহি আছিল বাছলৈ। এবাৰত যদি এগাল মান বজাৰৰ টোপোলাৰে অনৰ্গল কথা পাতি দুই তিনিজনী ছোৱালী, এবাৰত আকৌ মুখত "বিশেষ" গোন্ধটো লৈ চঞ্চল খোজেৰে তিনি চাৰি জন ল'ৰা। মুখত তিৎকাৰি হাঁহি। কোনোবা সময়ত লাজ লাজকৈ হাতত ধৰি কোনোবা প্ৰেমিক চৰাই, কোনোবা বাৰত কাণত হেডফোন লগাই নিসংগ সংগী। সময় হোৱা নাছিল বাবেই বাছত ছিটটো ৰাখি বেছি ভাগ তললৈ গৈছিল। কোনোবাই পেপচিৰ বটল খুলি ঠাণ্ডা কমোৱাৰ চেষ্টা কৰিছিল, কোনোবাই আকৌ বাছৰ পৰা আঁতৰি ছিগাৰেটৰ ধোঁৱা উৰুৱাইছিল। এবাৰত ৰাজদ্বীপ আৰু আৰিফো নামি গৈছিল। কিছু সময়ৰ পাছত উঠি আহিল। মুখেৰে টু শব্দ এটা নোকোৱাকৈয়ে বাছত বহিছিলহি সন্ধ্যা। কাষত অভিমন্যু। তাই খিৰিকীৰ কাষত। মূৰটো ছিটত পেলাই সেই একেই দৃষ্টিৰে বাহিৰলৈ চাই আছে। গালত বৈ থকা চকুপানীৰ টোপালবোৰত বাহিৰৰ লাইটবোৰ জিলিকি উঠিছে। একোবত মৰা এচাটি বতাহে দুই এডাল চুলি মুখত পেলাইছে। তাৰে কোনোবা ডাল যদি আঁতৰি গৈছে, কোনোবা ডাল সেমেকা গালখনত লাগি ৰৈছে। চকুদুটা তাইৰ তেতিয়াও ৰঙা। কাজলৰ অস্তিত্ব হেৰাই গৈছিল তেতিয়ালৈ। ওঁঠখন মাজে মাজে কঁপি উঠে। আকৌ নিস্প্ৰাণ। কঁপালত লোৱা

ফোটটোও ক'ৰবাত পৰিল। বাকীবোৰেও বাহ্যত বিশেষ একো কথা পতা নাছিল। দিনটোৰ স্ফূৰ্তিখিনি যেন ক'ৰবাত হেৰাই গৈছিল।

"কি হৈছিল সন্ধ্যা তাত?" অলপ সময় ৰৈ অভিমন্যুয়ে সৰু মাতেৰে তাইক সুধিলে। কিন্তু সন্ধ্যা নিথৰ। একেদৰেই বাহিৰলৈ চাই আছে। চকুপানীৰ দাগবোৰে তৰপ বান্ধিছে তাইৰ কোমল গালখনত।

"চা, মোকো নকৱ নে তই?" এইবাৰ তাইৰ হাতখন নিজৰ হাতৰ মাজলৈ আনিলে অভিমন্যুৱে। মৰমৰ সুৰেৰে আকৌ ক'লে,

"তই নক'লে মই কাক কি ক'ম ক? এবাৰ মাত্ৰ ক মোক কি হৈছিল।" তাৰ মাতটোও যেন কঁপিছিল। চকুৰ কোণটোও অলপ সেমেকিছিল। হয়, বৰ বেছি দিন হোৱা নাছিল তাইক লগ পোৱা। কিন্তু এই কেইদিনতে তাই তাৰ বাবে ইমান বেছি আপোন হৈ যাব বুলি সিও ভবা নাছিল। তাইৰ সৰু কাহ এটা হ'লেই চিন্তাত পৰে সি, অকণমান জ্বৰ উঠিলেও অশান্তিত থাকে সি। তেনেস্থলত তাইৰ এই অৱস্থা কেনেকৈ চাই থাকে?

"সন্ধ্যা, কিবা এটাটো ক। তোৰ এই অভিৰ পৰাও কথা লুকুৱাবি নে?" এখন হাতেৰে তাইৰ হাত খন ধৰি সিখনেৰে তাইৰ মুখত পৰি থকা চুলি খিনি পিছলৈ থেলি চকুপানী খিনি মোহাৰি দি আকৌ সুধিলে অভিমন্যুৱে। সন্ধ্যা এইবাৰো নিৰ্বিকাৰ। বাহু চলিবলৈ ল'লে। সন্ধ্যা নিশ্চুপ। খঙত জোৰেৰে হাতখন আঁতৰাই দিলে অভিমন্যুয়ে। কি হৈছে তাইৰ। কিয় তেনেকৈ কৌশিকৰ লগত গৈছিল। নিজ ইচ্ছাৰে গৈছে বুলি চোন তাৰ মনটোৱে নকয়। কিন্তু তাইৰ মৌনতাই যে কৌশিককেই সমৰ্থন কৰিছে। আৰু ভাবিব নোৱাৰিলে অভিমন্যুয়ে। চকুহাল মুদি বাছৰ ছিটত মূৰটো পেলাই দিলে সি। ক'ব নোৱাৰাকৈ তাৰো চকুৰ পৰা বৈ আহিছিল এটুপি তপত অশ্ৰু। কোনেও নেদেখাকৈ মচি ল'লে সি।

"Ki hoisil Sandhya?" মেচেজটো type কৰিও মচি দিলে অনুৰণে। সি জানে এই সময়ত সন্ধ্যা কথা ক'ব পৰাৰ অৱস্থাত নাই। গতিকে সুধিও লাভ নাই। কিন্তু তাই গৈছিল কিয়। ইমানখিনি মানুহৰ মাজৰ পৰা কৌশিকে জোৰ কৰি নিয়াৰটো প্ৰশ্নই উঠিব নোৱাৰে। অৰ্থাৎ সন্ধ্যা নিজেই গৈছিল। পিছে কৌশিকৰ কথাৰ তাই একো প্ৰতিবাদ নকৰিলে কিয়। অভিমন্যুৰ দৰে অনুৰণেও একো ভাবি পাৰ নাপালে। কিন্তু এটা কথাত অনুৰণ স্পষ্ট সন্ধ্যাৰ মনত সেই কৌশিকৰ বাবে একো নাই। একো সম্পৰ্ক নাই সিহঁতৰ।

Kaushik

বেলেগতো বাদেই সন্ধ্যাই নিজেই ক'লেও বিশ্বাস নকৰে সি। নিশ্চয় কিবা এটা আছে এই গোটেই কথাবোৰৰ আঁৰত। যিটো সিহঁত কোনেও দেখা নাই। বাকীবোৰে যি কৰে যি ভাবে সি একো নকয়। কিন্তু সন্ধ্যাৰ এই আচৰিত মৌনতাৰ আঁৰৰ ৰহস্য সি বিচাৰি উলিয়াবই। কৌশিকৰ কুটিল চক্ৰব্যেহুৰ পৰা সি আজুৰি আনিব সন্ধ্যাক। নিজকে কথা দিলে অনুৰণে।

বাছখন আহি ইউনিভাৰ্চিটি গেট পাই অলপ ৰৈছিল। সদায়ৰ দৰে চিকিউৰিটী আহি চেক কৰিছিল। এইটোৱেই "নিয়ম"। কাৰোবাৰ বেগত সোমৰসৰ বটল থকাৰ সন্দেহত এইদৰেই সদায় চেক কৰে। পিছে নিয়া সকলে তাৰ মাজতো বিভিন্ন উপায়েৰে নিয়েই। গেটৰ পৰা গৈ আকৌ Essential ত ৰ'ল বাছ। নমাৰ পাছতে যন্ত্ৰৰ দৰে সন্ধ্যা তাইৰ হোষ্টেল সোৱণশিৰীলৈ আগবাঢ়িছিল। ঠিক খোজ কঢ়াও নাছিল দৌৰাও নাছিল। কোনেও একো নক'লে তাইক। এজন এজনকৈ বাকীবোৰো নামি নিজৰ হোষ্টেললৈ বুলি খোজ ল'লে। Essential তেতিয়াও ভৰি আছিল বিভিন্ন জনেৰে। কাৰোলৈকো ভ্ৰক্ষেপ নকৰি খৰ খোজেৰে সন্ধ্যা তাইৰ ৰুমত সোমালেগৈ। কৰিডৰত কোনোবা এজনীয়ে মাতিছিল হ'বলা। তাইৰ একো কাণত নোসোমাল।

"সন্ধ্যা, আহি পালি?"

বিদিশাৰ কথালৈ কাণ নিদি বেগটো বিচনালৈ দলিয়াই বাথৰুম লৈ দৌৰি গৈছিল সন্ধ্যা। কাপোৰৰ নোখোলাকৈয়ে ছাৱাৰ টো অন কৰি দিলে। গোটেই কাপোৰ তিতি গৈছিল তাইৰ। চুলিবোৰ গাত লিপিট খাই পৰিছিল। চকুপানীবোৰ মিহলি হৈ গৈছিল ছাৱাৰৰ পানীৰ লগত। অলপ সময় ছাৱাৰটোৰ তলত ৰ'ল সন্ধ্যা। দিনটোৰ অৱসাদ, অপবাদ সকলো যেন পানীয়ে ধুই নিয়ক। শেষ হৈ যাওঁক সকলো। এনে বিচাৰিছিল সন্ধ্যাই।

কিছু সময়ৰ পাছত সম্পূৰ্ণ ভিজা কাপোৰেৰে ৰুমলৈ সোমাই অহা সন্ধ্যাক দেখি চকু কপালত উঠিল বিদিশাৰ,

"সন্ধ্যা, হেই কি হৈছে তোৰ?" তাইৰ বাহুত ধৰি জোকাৰি দিলে বিদিশাই। হঠাৎ কি হ'ল ছোৱালীজনীৰ।

সন্ধ্যাই জোৰেৰে চিঞৰি কান্দি উঠিল। প্ৰথম বাৰলৈ শব্দ কৰিলে তাই। তাইৰ কান্দোন যেন শেষেই নহ'ব। বিদিশাক সাৱটি কেৱল কান্দি গৈছে। আধা কাপোৰ তিতি গ'ল বিদিশাৰো। বিদিশাৰ বুজনিয়ে যেন বাধা দিব পৰা নাই সন্ধ্যাৰ অশ্ৰুৰ পৰিধিক।

Kaushik

বাৰে বাৰে সুধিছিল যদিও উত্তৰত কেৱল কান্দোনেই ওলাইছিল সন্ধ্যাৰ। সদায় হাঁহি ফুৰ্তিৰে ৰুমটো জীপাল কৰি ৰখা ছোৱালীজনীৰ এই অৱস্থাত বিদিশাও বিচলিত হ'ল। শেষত উপায় নাপাই বিদিশাই প্ৰিয়াক মতাই আনিলে। ওচৰৰ দুই এজনী ছোৱালীও আহি সন্ধ্যাহঁতৰ ৰুম পাইছিলহি।

"তোক কোনে কি ক'লে মোক ক সন্ধ্যা। চাল্লা সোৱণশিৰীৰ ছোৱালীলৈ চকু দিয়ে কাৰ ইমান সাহ বে। এতিয়াই চোঁচৰাই আনিম চিনি পোৱা নাই।" ৰীণা বাই খঙত কথা কেইটা কওঁতে চিঞৰ হৈ ওলাইছিল।

"ৰচোন, এতিয়াই এই হুলস্থুল থন নকৰিবি।" বিদিশাই বুজালে। প্ৰিয়াই যিমান পাৰে চমুকৈ বিদিশা আৰু বাকী ছোৱালী কেইজনীক কথাখিনি কৈছিল। সিহঁত দুইজনীৰ বুজনিত সন্ধ্যা কিছু শান্ত হৈছিল। তাইৰ তিতা কাপোৰবোৰ খুলি বেলেগ কাপোৰ পিন্ধাই দিলে প্ৰিয়াই। কান্দি কান্দি চকু ওখহি গৈছিল তাইৰ। বিদিশাই তিতি থকা চুলি খিনি টাৱেলখনেৰে টুকি আচুৰি তাইক বিচনাত শুৱাই দিলে। ৰুমত ভিৰ কৰি থকা থকা ছোৱালীবোৰক যাবলৈ ক'লে ৰীণাই।

"অগ্নিগড়ত ল'ৰাৰ লগত হলি গলি কৰি এতিয়া সতী সাৱিত্ৰীৰ নাটক কি চাবা।" ওলাই যাওঁতে কোনোবা এজনীৰ মস্কৰা কাণত পৰিলহি প্ৰিয়াহঁতৰ।

"ঐ, কি কৈছ? গৈছোঁ ৰ, মুখ বাঢ়িছে তহঁতৰ। চিনি পোৱা নাই বুঢ়ী মাৰক।" ৰীণা উঠি যাবলৈ লৈছিলেই, বিদিশাই ৰখালে।

ইউনিভাৰ্চিটিত কথা বুলিলেই বতাহ। তাতে গাৰ্লচ হোষ্টেলবোৰত এনেবোৰ কথাৰ বতাহ বেছিকৈ বলে। কোনে কাৰ মুখত সোপা দিব। উপায়হীন হৈ বিচনাত বহি পৰিল বিদিশা। প্ৰিয়া আৰু ৰীণাই তাইক সন্ধ্যাৰ ওচৰত থাকিবলৈ দি ওলাই গৈছিল। ভাত খোৱাৰ সময়ত প্ৰিয়াহঁতে খাই আহি সন্ধ্যাৰ ওচৰত ৰওঁতে বিদিশাই খাবলৈ উঠি গ'ল। নিজৰ খিনি খাই সন্ধ্যাৰ বাবে ভাতৰ থালিখন লৈ আহিল। প্ৰিয়াহঁত বহিয়ে আছিল তেতিয়ালৈ। সন্ধ্যাই খাবলৈ মন কৰাই নাছিল ভাত।

"এইবোৰ নহ'ব সন্ধ্যা। সমস্যাটো আহিয়েই থাকিব, সেইবুলি ভাত নোখোৱাকৈ থাকিবা নে?" ভাতকেইটা সানি নিজেই হাতেৰে খোৱাই দিছিল তাইক বিদিশাই। ৰীণাই কাষতে বহি তাইৰ মূৰটোত হাত ফুৰাই বুজাই আছিল,

"আমি চব আছোঁ নহয়। কিহৰ ইমান চিন্তা হা?"

Kaushik

সন্ধ্যাৰ চকু পানীৰ তপত টোপাল কেইটা ভাত গৰাহ খোৱাই দিওঁতে বিদিশাৰ হাতত পৰিছিলহি। গালখন মচি দিছিল ৰীণাই। ভাতকেইটা খোৱাই মুখ মচি দি তাইক বিচনাত আকৌ শুৱাই দি ৰীণাহঁতৰ লগত অলপ ৰুমৰ পৰা ওলাই আহিল বিদিশা। বিচনাত একেথৰে মৰাশৰ দৰে পৰি আছিল সন্ধ্যা। তেনেতে মাকে ফোন কৰিলে,

"কি হ'ল ৰুণজুন? আজি সন্ধিয়াৰ পৰা ফোন কৰি আছোঁ। ধৰা নাই যে? ঠিকে আছাতো?" মন গৈছিল সন্ধ্যাৰ। সকলো উজাৰি যেন কৈ দিব। কিন্তু নোৱাৰিলে। কথাবোৰ গম পাই মাকৰ কি অৱস্থা হ'ব সেয়া ভাবিয়ে ৰৈ গ'ল তাই।

"মা.... মোক.. মোক তোমালোকে ভালতো পোৱা ন?" ওলাই অহা কান্দোনটো জোৰকৈ হেঁচি ধৰি যেনে তেনে ক'লে তাই। কিন্তু মাকৰ মনে যে সন্তানৰ প্ৰতিটো মনৰ কথাই বুজি পায়।

"কি হ'ল ৰুণ? তুমি কান্দিছা নেকি? কি হৈছে কোৱা চোন।" মাকে সুধিলে। তাই একো নোকোৱাকৈয়ে যেন মাকে কিবা এটা বুজি উঠিছিল।

"একো নাই অ' মা। ঠিকে আছোঁ দিয়া মই।" কষ্ট, খুউব কষ্ট হৈছিল সন্ধ্যাৰ। বুকুখন যেন উশাহ ল'ব নোৱাৰাকৈ গধুৰ হৈ গৈছিল। চকুপানীবোৰে বাৰিষা পানীৰ দৰে বৈ তিয়াই দিছিল গাৰুটো। কান্দোনৰ শব্দটো নোলাবলৈ মুখখন গাৰুটোত হেঁচি ধৰিছিল তাই।

"শুই যোৱা ৰুণ। কিবা গা চা বেয়া কৰিছে যদি ক'বা। মই আৰু দেউতা যাম বাৰু এই কেইদিনতে এপাক।" মাকে ভাবিছিল, প্ৰথম হোষ্টেলত থকাৰ বাবেই তাইৰ মনত পৰিছে চাগে ঘৰলৈ।

মন গৈছে সন্ধ্যাৰ। দেউতাকৰ বুকুত জোৰকৈ মূৰটো গুজি দিবলৈ মন গৈছে। "মোক এৰি নিদিবা দেউতা" বুলি যেন চিঞৰি উঠিবলৈ মন গৈছে। কিন্তু নাই।

"হ'ব মা।" বুলি ফোনটো কাটিলে তাই। সৰু কিবা এটা হ'লেও "মা, মা" বুলি চিঞৰ লোৱা তাইজনীয়ে আজি ইমান ডাঙৰ কথা এটাও লুকুৱাই দিলে। অভিনয় কৰিব নজনা সন্ধ্যাই আজি চাগে জীৱনৰ শ্ৰেষ্ঠ অভিনয় কৰিছিল। কিয় এনেকুৱা হয় জীৱনটো। এসময়ত সকলো কথা মাকক কৈ দিয়া অভিমানী আৱেগিক ছোৱালীজনীয়ে আজি কিয় লুকুৱালে। এৰা, জীৱনত পৈণত হ'বলৈ যাওঁতে আৱেগ অনুভূতিবোৰক

Kaushik

কৰৰ দিবই লগা হয় চাগে। সন্ধ্যাও মানে ডাঙৰ হ'ল। লগতে অকলশৰীয়াও। চকুকেইটা মুদিবৰ চেষ্টা কৰিলে তাই।

"মই বুজি পোৱা নাই ময়ূঁৰ, তাই একোৱেই কিয় কোৱা নাই।" দিনটোৰ কথাবোৰ ময়ূঁৰৰ আগত কৈ আছিল অভিমন্যুৱে। ৰাতি ভাত খাই এপাক ওলাই যোৱাটো সিহঁতৰ নিয়মেই। মাজে মাজে অনুৰণ, বিশ্বজিত হঁতো আহে। কিন্তু আজি ময়ূঁৰৰ লগত অকলেই আহিল অভিমন্যু। এনেকুৱা সময়ত ময়ূঁৰৰ বাহিৰে বেলেগৰ উপস্থিতি মানি ল'ব নোৱাৰে সি। খোজ কাঢ়ি আহি কাঞ্চনজংঘাৰ ওচৰেই পাইছিলহি সিহঁত। মিহিকৈ কৃষ্ণমণি দাৰ বাঁহীৰ সুৰ এটা ভাঁহি আহিছিল। ফিল্ডত দুই এটাই তেতিয়াও খেলি আছে। সিহঁত পুলটোতে বহিল।

"তই কি ভাব? কি হৈছিল আচলতে তাত?" ময়ূঁৰক সুধিলে সি।

"সকলো প্ৰশ্নৰ উত্তৰ মানুহেই দিব লাগিব বুলি কথা নাই অভি। কিছুমান উত্তৰ মানুহতকৈ সময়ে বেছি ভালকৈ দিয়ে। সময়ক অলপ সময় দে। চব ঠিক হৈ যাব।" তাৰ স্বাভাৱিক শান্ত সুৰেৰে বুজালে ময়ূঁৰে।

"তাইৰ বাৰু কৌশিকৰ লগত সঁচাই কিবা চলি আছে নেকি" অভিমন্যুৰ মাতত এইবাৰ কিছু সন্দেহ।

"মই নাভাবোঁ। সন্ধ্যা চঞ্চল হ'ব পাৰে, কিন্তু সস্তীয়া নহয়।" ময়ূঁৰৰ মুখলৈ চালে অভিমন্যুৱে। কি শক্তি আছে এই ল'ৰাটোৰ। মাত্ৰ দুই এষাৰ কথাৰেই যেন সকলোকে শান্ত কৰি ৰাখে। কথাতেই যেন এক পজিটিভ এনাৰ্জি পোৱা যায়। সেইবাবেই খুব সোনকালেই ময়ূঁৰৰ লগত ঘৰৰ মানুহৰ দৰে হৈ পৰিল অভিমন্যু।

"ব'ল যাওঁ।" থিয় হৈ ক'লে সি।

"তই যা, মই অলপ বহিম ইয়াত। তোৰ ভাগৰ লাগিছে শুই দে গৈ।" উকা ফিল্ডখনৰ ফালে চাই ময়ূঁৰে ক'লে। ফিল্ডৰ পৰা অহা চেঁচা বতাহ জাকে ময়ূঁৰক কোবাইছিলহি। কাণত লগাই লৈছিল হেডফোন ডাল। চকু দুটা লাহে লাহে মুদি দিছিল সি। এই সময়ত তাক জোৰ কৰিও লাভ নাই বুলি জানে অভিমন্যুয়ে। তাক তাতে এৰি পাটকাইলৈ খোজ ল'লে। সঁচাই খুব ভাগৰ লাগিছিল তাৰ। ৰুমটোত সোমায়েই বিচনাত বাগৰি টোপনি গ'ল।

Kaushik

নিশা ঠিক দুই বাজিছিল। বিদিশাও তেতিয়ালৈ ঢলি পৰিছিল টোপনিত। কিন্তু টোপনি নাছিল সন্ধ্যাৰ দুচকুত। দিনটোৰ ঘটনাবোৰ এটাৰ পাছত এটাকৈ পাৰ হৈ গৈছিল তাইৰ চকুৰ আগেৰে। ইকাটি সিকাটি কৰি পাৰ কৰিছিল বহু সময়। কাক ক'ব তাই। কাক শুনাব? মাককতো নক'লেই। শেষত অভিমন্যুলৈ ফোন লগালে। সি শুইছিল হ'বলা। টোপনিৰ মাতেৰেই ক'লে সি,

"ক"

"অভি.... মানে মই...." নাই পৰা নাই সন্ধ্যাই ক'ব।

"এই ৰাতিখন কামোৰ নিদিবি। দিনটো বহুত বিহু দেখুৱালি। কাইলৈ ক'বি কিবা ক'ব আছে যদি" খঙেৰে কথা কেইটা কৈ ফোনটো কাটি দিলে সি। খুউব খং উঠিছিল তাৰ। এৰা, সি বহুত বাৰ সোধাৰ পাছতো তাই নক'লে। কি শক্তিয়ে তাইৰ মুখ বন্ধ কৰি ৰাখিছিল তাইও নাজানে। আকৌ চকু পানীৰে উপচি পৰিল সন্ধ্যাৰ। কিয়, অভিয়েও নুবুজিলে নে তাইক। এবাৰতো শুনিব পাৰিলে হয়। কাক ক'ব তাই মনৰ কথা খিনি। কাক জনাব। কোনে বুজিব তাইক। তেনেকুৱা মেচেজ টনটো বাজিল,

"Xula neki Sandhya?" অনুৰণে দিছে।

"Nai, asu." তাতকৈ বেছি চোন একোৱেই লিখিব পৰা নাই তাই। হাতখন কঁপিছে।

তেনেকুৱাতে আকৌ মেচেজ আহিল তাৰ,

"Tumi eku kobo nalage. Moi buji pau tumak.. xui jua seibur sinta baad di.. navabiba eku.. moi asu tu"

"মই আছোঁতো"। কি যাদু আছে এই কথাষাৰত। সন্ধ্যাই যেন ঠিক অনুৰণৰ শান্ত মাতটোৱেই শুনা পাইছিল কাণৰ কাষত।

তপত অশ্ৰু বৈ আহি মোবাইলৰ স্ক্ৰীন খনতে পৰিল হি। লগতে এটা দীঘল হুঁমুনিয়াহ। বৰ বেছি নহ'লেও অথনিৰ পৰা গধূৰ হৈ থকা বুকুৰ বোজাটো যেন কিছু কমিল। মোবাইল ফোনটো থৈ শুবলৈ আকৌ চেষ্টা কৰিলে সন্ধ্যাই। মনত ভাঁহি আহিল আবেলিৰ সেই দৃশ্যটো। অভিমন্যু তাইৰ কাষৰ পৰা গৈ অনুৰণহঁতৰ লগ পাইছিল। সন্ধ্যা, জুৰি আৰু প্ৰিয়াই কথা পাতি আছিল। এবাৰত জুৰিহঁতৰ লগত তাইও সেই স্তম্ভটোলৈ উঠি যাবলৈ লৈছিল। তেনেকুৱাতে আহিছিল সেই আপদীয়া মেচেজটো আৰু লগত সেই ফটোখন।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 22

এটা এটাকৈ কথাবোৰ মনলৈ আহিছে সন্ধ্যাৰ। চকুৰ পানীবোৰে আকৌ গাৰুটো তিয়াইছে। একেথৰে ওপৰৰ চিলিং ফেন থনলৈ চাই আছে তাই। মনলৈ আহিল অগ্নিগড়ৰ দৃশ্যটো।

"সন্ধ্যা, তোৰ তাত থকা মোৰ ফটোকেইখন send কৰ না" সীমাই চিঞৰিছিল।

"যাওঁতে দিম দে। ইমান গৰমে গৰমে আপলোড নকৰিলেও হ'ব।" স্তম্ভটোৰ ওপৰলৈ উঠিবলৈ লৈ ক'লে সন্ধ্যাই।

"না.... প্লিজ দে না অ'। লাগে মোক।" বৰ কামোৰ মানে এই সীমাজনী।

"দিছোঁ ৰহ। বৰ কামোৰ দেই এইচব।" ভোৰভোৰাই তলতে ৰৈ হোৱাটচ এপটো খুলিলে তাই। বাকী বোৰ ইতিমধ্যে ওপৰ পাইছিলগৈয়ে। Chat list খনত সেই অচিনাকী নম্বৰটো দেখি শিয়ৰি উঠিল সন্ধ্যা। কিবা ফটো দিছে। লগত এটা নম্বৰ।

"Tumi amak pattai nidia, pise ASTC t lorar logot open romance na"

ফটোখন দেখি উচপ খাই উঠিল সন্ধ্যাই। অনুৰণৰ বাহুৰ মাজত তাই। তাইৰ মুখখন স্পষ্টভাৱে ওলাই আছে। ফটোখন এনেকুৱা দিশৰ পৰা তোলা হৈছে যাতে তাই আৰু অনুৰণ এক বিশেষ চুম্বনৰ ভংগীমাত থকা যেন দেখি। কিন্তু সন্ধ্যাই জানে এইবোৰ মাত্ৰ কেমেৰাৰ বাহাদুৰি। কাৰণ তাৰ সিমানখিনিও ওচৰ চপাই নাছিল তাই। আৰু সেইটো এটা দুৰ্ঘটনাৰ দৰে হৈছিল। সি নধৰা হ'লে পৰি গ'ল হেঁতেন তাই। তাতকৈও আচৰিত হৈছিল সন্ধ্যা কৌশিকে পঠোৱা ফোন নম্বৰটো দেখি। 94010*****। এইটোতো তাইৰ দেউতাকৰ নম্বৰ। কিন্তু সেইটো কৌশিকৰ হাতত কেনেকৈ। কি reply দিব ভাবি থাকোঁতেই তাৰ আকৌ মেচেজ,

"Ki hol? Number tu sini pua nai? Whatsapp u ase suun eitut. Photo khon send kori dim neki jaan?"

মূৰটো আচন্দ্ৰাই কৰিছিল সন্ধ্যাৰ। এইখন ফটো ঘৰত দেখাৰ পাছত কি ভাবিব তাইৰ দেউতাকে? বিশ্বাস কৰিবনে তাইক? নকৰে, কেতিয়াও নকৰে। আজিৰ টেকন'লজীৰ দুৰ্ব্যৱহাৰে নিৰ্মিত এই ফটোখনত দেখাৰ দৰে যে একোৱেই হোৱা নাছিল, সেয়া কিদৰে

Kaushik

বুজাব তাই দেউতাকক। সন্ধ্যাৰ মনলৈ আহিছিল দেউতাকৰ কঠোৰ মুখখন। মাকৰ পানী বৈ থকা সেমেকা চকুকেইটা।

"এয়া কৰিবলৈকে তোক ইউনিভাৰ্চিটীলৈ পঠাইছিলো?" দেউতাকে চাগে চিঞৰি উঠিব।

"এইবোৰ কৰাতকৈ আমাক জীয়াই নামাৰিলি কিয় ৰুণ?" মাকে চাগে বুকু ঢকিয়াই কান্দিব। হঠাৎ ফোনটো বাজি উঠাত তাই বাস্তৱলৈ ঘূৰি আহিছিল।

"কি হ'ল সন্ধ্যা দাৰ্লিং? মোক লগ পাবলৈ মন যোৱা নাই?" কথাৰ সুৰতো যেন অশ্লীলতা তাৰ।

যোৱা কেইবাদিনো ধৰি এই নম্বৰটোৰ পৰা মেচেজ অহাৰ কথাটো কওঁ কওঁ বুলিও কোৱা হোৱা নাছিল কাকো। তাৰেই পৰিণতি এইয়া।

"Hey সন্ধ্যা, my sweet baby, লগ কৰিবা নে নাই মোক?" তাই একো নোকোৱা দেখি আকৌ সুধিলে সি।

সন্ধ্যাই যেন একো ক'ব পৰা অৱস্থাত নাছিল। কঁপনি উঠিছিল শৰীৰত। ভয়ত বুকুখনৰ ধম ধম শব্দটো যেন কাণলৈকে আহিছিল। সন্ধ্যাৰ ঠাইত অন্য ছোৱালী হোৱা হ'লে হয়তো তেতিয়াই উচিত প্ৰত্যুত্তৰ দিলে হেঁতেন। কিন্তু সন্ধ্যাই যে নোৱাৰে। ঘৰৰ একেজনী ছোৱালী সকলোৰে আদৰৰ সন্ধ্যাই পৃথিৱীৰ এই ৰূপটো কল্পনাও কৰা নাছিল। কোনোমতে নিজক চম্ভালি তাই ক'লে,

"কোন তুমি? এইবোৰ কিয় কৰিছা? আৰু দেউতাৰ নম্বৰ..."

"Hlw, কি কৈছা শুনা নাই, hlw... হুলস্থুল শুনি আছোঁ, অলপ আঁতৰি আহা চোন তাৰ পৰা" তাইৰ কৈ নহওঁতেই কৌশিকে কৈ উঠিল।

কৌশিকে সঁচাই শুনাত অসুবিধা পাইছে বুলি সন্ধ্যা আঁতৰি আহিছিল জুৰি সীমাহঁতৰ ওচৰৰ পৰা। কথাত মচগুল হৈ থকাৰ বাবে কোনেও তাইলৈ মন কৰা নাছিল। ভয় আৰু খঙত সন্ধ্যাইও কাকো একো নোকোৱাকৈ আহিছিল, তাই সপোনতো ভবা নাছিল যে এখন অদৃশ্য জালত তাই ভৰি থৈছে।

"কোৱা ক'ত আছা তুমি, কি লাগে তোমাক।"

কথাকেইটা কৈ কৈ আগবাঢ়ি গৈ আছিল সন্ধ্যা। নাই, ইয়াক লগ কৰিবই লাগিব আজি। কি বিচাৰে সি? কিয় তাইৰ সুখৰ পৃথিৱীখন শেষ কৰিব খুজিছে সি?

kaushik

"এইফালে আহা, এই মূৰ্তি কেইটাৰ পিছফালে।"

বিপদত মানুহে দিক বিদিক হেৰুৱাই। সন্ধ্যাৰো ঠিক তেনেকুৱাই হৈছিল। কৌশিকক ধৰা পেলোৱাটো তাইৰ যেন একমাত্ৰ লক্ষ্য। তাৰ বাবে ক'লৈ গৈ আছে তাইৰ যেন ভ্ৰূক্ষেপেই নাই। নিৰ্দিষ্ট ঠাইখিনিত অৰ্থাৎ বেংগছটাৰ মূৰ্তি কেইটাৰ পাছফালে গৈ সন্ধ্যা যেন কঁপি উঠিছিল। মূৰ্তিটোৰ ঠিক কাষ পাওঁতেই কৌশিকে সন্ধ্যাক হাতত ধৰি জোৰেৰে টানি নিছিল। মূৰ্তিৰ পিছফালে তাইক জোৰকৈ তাৰ গাৰ কাষলৈ নিছিল। কি হৈছে সন্ধ্যাই যেন বুজিয়ে পোৱা নাছিল। কৌশিকৰ মুখলৈ চাই তাই ভয়ত কঁপি উঠিছিল। মুখত অকটা গোন্ধ। চকুত অশ্লীল চাঁৱনি। ক্লাছত সকলো আঁতৰি থকা চিনিয়ৰৰ লগত কাজিয়া লগা ল'ৰা জনক দেখিছিল যদিও নামটো জনা নাছিল তাই। তাৰমানে ইয়েই অতদিনে তাইক মেচেজ দি আছিল। এই অৱস্থাত কি কৰিব তাই? এনে পৰিস্থিতিত আজিলৈকে পৰা নাই তাই।

"তোমাক মই ভাল পাওঁ সন্ধ্যা। প্লিজ মোৰ হৈ যোৱা না।" কৌশিকে আকৌ তাইক সাৱটি ল'বলৈ চেষ্টা কৰিলে। কি কৰে সন্ধ্যাই? চিঞৰি কান্দিব? নে পলাই আহিব? নে...? নাই, নোৱাৰি। এই নীচ অনুভৱ আৰু সহ্য নহয় তাইৰ। গাৰ জোৰেৰে সন্ধ্যাই তাক আঁতৰাই পঠাই কৈ উঠিল,

"পাগলামি নকৰিবা। মই এতিয়াই চৰকে কৈ দিম। কি ভাবিছা তুমি মোক?" চকুকেইটা জ্বলি উঠিছিল তাইৰ। মাতটো অলপ কঁপিছিল।

তাইৰ কথাত হাঁহিত ফাটি পৰিল কৌশিক,

"তুমি কি ভাবা? তুমি কৈ দিবা আৰু মই চাই থাকিম? ভাবা চোন কেনেবাকৈ যদি মোৰ তাত থকা ফটোখন তোমাৰ দেউতাৰ হোৱাটচ এপত যায়? যদি কেনেবাকৈ ফেচবুকত শ্বেয়াৰ হৈ যায়? কি হ'ব তোমাৰ কোৱা। তাতকৈ বাদ দিয়া অলপ এনজয় কৰোঁ আহা বে।"

কথাখিনি কৈ কৈ কৌশিকে এটা হাতেৰে সন্ধ্যাৰ কঁকালত ধৰি কাষলৈ টানি আনি আনটো হাতেৰে তাইৰ ওঁঠ স্পৰ্শ কৰিবলৈ ধৰিলে। জ্বৰে ঘমাদি ঘামিবলৈ লৈছিল সন্ধ্যা। থৰথৰকৈ কঁপিছিল। এনে অৱস্থা হোৱাটো বাদেই চকুৰ সমুখত দেখাও নাই আজলী সন্ধ্যাই। কি হৈছে এইবোৰ। মানুহৰ স্পৰ্শও ইমান অসহ্যকৰ হ'ব পাৰে নে? কৌশিকৰ প্ৰতিটো স্পৰ্শই যেন এখন কটাৰীৰ দৰে কাটি নিছে সন্ধ্যাৰ শৰীৰটো। নিজলৈকে ঘিণ উপজিছে তাইৰ। আকাশ বিদাৰি যেন চিঞৰি উঠিব উঠিব তাই।

Kaushik

কিন্তু কি হ'ব পৰিণাম? দেউতাকৰ বিশ্বাস থাকিব জানো? বিশ্বাস কৰিবনে যে ফটোখনৰ আঁৰৰ কাহিনী সম্পূৰ্ণ বেলেগ। নকৰিব চাগে। কি কৰোঁ নকৰোঁকৈ কৌশিকৰ হাতৰ পৰা নিজক মুকলি কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইও বিফল হৈছিল। যন্ত্ৰণাত চটফটাইছিল তাই। টান খহটা হাতেৰে তাইৰ মুখ, চকু, ডিঙি চুই গৈছে কৌশিকে। ইয়াতকৈ এটা বিষাক্ত সাপৰ স্পৰ্শও মানি ল'লে হেঁতেন তাই। কিন্তু ই যে অসহ্য। উস্, ভগৱান, কি কৰোঁ মই। চকুৰে পানী বৈ আহিছিল। লাহে লাহে যেন যন্ত্ৰলৈ সলনি হব লৈছিল তাই। চটফটনিবোৰ কমি গৈছিল। জড় হৈ গৈছিল সন্ধ্যা। দেউতাকৰ মুখখনে, মাকৰ সেমেকা চকুযুৰিয়ে বাধ্য কৰাইছিল তাইক ৰৈ যাবলৈ। এপাকত কৌশিকে তাইৰ মাফলাৰখনো টানি আঁতৰাই দিলে। তাইৰ কোমল বুকুখনত তাৰ আঙুলিৰ অবাধ বিচৰণ। কিয়? কিয় বাৰে বাৰে নাৰীৰ এই অৱস্থা? এজনী ছোৱালী হোৱাই কি দোষ হ'ল নেকি সন্ধ্যাৰ? এবাৰ তাইৰ কঁকালত ধৰি আকৌ গাৰ কাষলৈ টানিলে সি। নাই, একো কৰা নাই তাই। ঘৰৰ সন্মান আৰু সতীত্বৰ মাজত সন্মানক গুৰুত্ব দিয়াই উচিত বুলি ঠিৰাং কৰিছিল চাগে সন্ধ্যাই। চকু দুটা মুদি দিছিল। মনৰ ক'ৰবাত হয়তো নিজক শেষ কৰি দিয়াৰো তীব্ৰ বাসনা জাগিছিল। যেতিয়া সকলো আঁতৰি যায়, তেতিয়া ঈশ্বৰেই সহায়। সন্ধ্যাৰ ক্ষেত্ৰতো যেন একেই হৈছিল। ইমানতে ভগৱানে উদ্ধাৰ কৰিছিল তাইক। কৌশিক অধিক আগবাঢ়িবলৈ নাপাওঁতেই শুনিছিল অভিমন্যুৰ চিঞৰটো,

Kaushik

"সন্ধ্যা......." মন গৈছিল একেদৌৰে যেন আঁতৰি যাব তাই। কিন্তু সন্ধ্যাৰ দৌৰি যাবলৈও যেন শক্তি নাছিল। ভৰি দুটা কিবা অচিন শক্তিয়ে লৰিব নোৱাৰাকৈ বান্ধি থৈছিল। কৌশিকে হাতত ধৰি লৈ গৈছিল সিহঁতৰ প্ৰশ্নভৰা মুখবোৰৰ সমুখলৈ। তাৰ পাছৰ কথাবোৰ যেন তাই আৰু ভাবিব নোৱাৰে। ক'বলৈ মন গৈছিল তাইৰ সকলোকে। কৌশিকৰ লেতেৰা চৰিত্ৰ উদঙাই দিয়াৰো ইচ্ছা হৈছিল। কিন্তু নোৱাৰিলে ক'ব। কৌশিকৰ দুই মিনিট সময় নালাগে তাইক ধ্বংস কৰি দিবলৈ। কি কৰিব তাই। হয়তো এনে ঘটনা আন কাৰোবাৰ বাবে তেনেই সাধাৰণ। কেমেৰাৰে তোলা এখন ফটোৱে কি মানুহৰ চৰিত্ৰৰ চাৰ্টিফিকেট দিব নেকি? মানুহে শুনিলেও হাঁহিব চাগে। ধুৰ, এইটোত নো ভয় কৰে নে? কিন্তু সন্ধ্যাই কৰে। কাৰণ তাইৰ ঘৰখনৰ কথা কেৱল তাই জানে। তাইৰ সমাজখনৰ কথা অকল তাই বুজে। সমাজত থকা দেউতাকৰ সন্মানখিনি তাই দেখিছে সৰুৰে পৰাই। সমাজৰ ৰক্ষণশীলতাৰ মেৰপাকত ডাঙৰ হৈছে তাই। অথচ তাৰ মাজতো মাক দেউতাকে বহুখিনি শিথিলতা প্ৰদান কৰিছিল তাইক। কিন্তু এই ফটোখন দেখাৰ পাছত তাইৰ একো স্পষ্টীকৰণে যে কাকো

বুজাব নোৱাৰে তাই জানে। যন্ত্ৰৰ দৰে মাত্ৰ চলি আছিল সন্ধ্যা। পুতলাৰ দৰে খেলিছিল কৌশিকে। জুই, একুৰা জুই লাগে সন্ধ্যাক। কৌশিকৰ সেই কদৰ্য স্পৰ্শ যেন কেৱল জুইকুৰাইহে আঁতৰাব পাৰিব। উস্, কি অসহ্য আছিল। ঘৰত সকলোৰে মৰমৰ উমত ডাঙৰ হোৱা সন্ধ্যাই কেতিয়াও জীৱনত দেখাই নাছিল এইবোৰ। কোনোবা সময়ত হাতেৰে জোৰকৈ গোটেই গাটো মোহাৰি পেলাই তাই। যেন এতিয়াও লাগি আছে সেই আসুৰিক পৰশ। মানুহ ইমান জন্তু হ'ব পাৰেনে? স্পৰ্শৰ অনুভৱ এজনী ছোৱালীতকৈ বেছি কোনে বুজিব পাৰে? মলিন হৈ গৈছিল যেন সন্ধ্যা আজি। বাৰে বাৰে চেষ্টা কৰিও পাহৰিব পৰা নাই। চকুলোৰ জোৱাৰত তিতি যোৱা গাৰুটো সাৱটিয়েই সন্ধ্যাই পাৰ কৰিলে নিদ্ৰাবিহীন নিশা। চোপনিবোৰো বৰ স্বাৰ্থপৰ। বিষাদৰ সময়তেই লগ এৰি যায়। কিন্তু শুবলৈ মন গৈছিল সন্ধ্যাৰ। কেতিয়াও সাৰ নোপোৱাকৈ শুবলৈ মন গৈছিল। অনুভৱ কৰিছিল তাই, জীৱনৰ আটাইতকৈ ডাঙৰ ট্ৰেজেদী মৃত্যু নহয়। ভিতৰৰ পৰা মৰিও বাহিৰে কেৱল উশাহ লৈ থকাটোহে আটাইতকৈ ডাঙৰ ট্ৰেজেদী।

খিৰিকীৰে আহি ৰ'দজাক মুখত পৰালৈকে এবাৰো চকুৰ পতা যোৰা নালাগিল তাইৰ। দিনটো বিচনাতেই পাৰ কৰিলে। দেওবাৰ আছিল। বিদিশাই আনি দিয়া ভাত খাই মৰাশৰ দৰে পৰি থাকিল বিচনাতে। অভিমন্যুয়ে এবাৰ ফোন কৰিছিল। নধৰিলে। ধৰাৰ শক্তি নাছিল। যন্ত্ৰ হৈ পাৰ কৰিলে সন্ধ্যাই দিনটো। প্ৰিয়া আৰু বিদিশাই বহু জোৰ কৰিও একো কথাই উলিয়াব নোৱাৰিলে। শেষত সিহঁতেও একো নোসোধা হ'ল। সন্ধিয়া এপাক ওলাই গ'ল তাই। অকলেই। কাঞ্চনজংঘাৰ পুলটোত বহিল। লাইটবোৰৰ মাজে মাজে ভাঁহি অহা শব্দৰ ফিল্ডখনলৈ চালে। আকাশত কজলা বৰণৰ জোনটো। সকলোৱে খুব প্ৰশংসা কৰে জোনটোক। পিছে মানুহে জানো বুজিব, বুকুত ক'লা দাগ লৈ জীয়াই থকাটো কিমান কষ্টকৰ? বতাহত কাঞ্চনজোপা কঁপিছিল। কাষৰ নাহৰজোপাও। সিহঁতে বুজিছিল নে সন্ধ্যাৰ কথা? শুনিছিল নে তাই নোকোৱা ভাষা? "অনুৰাধাৰ দেশ"ত তাই পঢ়িছিল, "সেই দুখেই অধিক তীব্ৰতম যাৰ কোনো অংশীদাৰ নাই।" বুজিছে, আজি হাড়ে হাড়ে বুজিছে তাই এই কথাষাৰ। ইমান মানুহ চাৰিওফালে। কোনোবা চাইকেলত আহিছে, কোনোবাই জুম বান্ধি হাঁহিৰ জোকাৰণি তুলিছে। সন্ধ্যা নিৰ্বিকাৰ হৈ বহি আছে। সমুখত উকা ফিল্ডখন, অলপ চেঁচা বতাহ, লঠঙা কাঞ্চনজোপা আৰু আকাশৰ কজলা দাগী জোনটো। চকুত তেতিয়াও পানী। বাষ্পহীন তাইৰ দুচকুত ধূঁৱলী কুঁৱলী আজি নিজৰেই প্ৰতিবিম্ব। বতাহজাক যেন তাইক নিচুকাবলৈকে বলিছিল। বতাহৰ কোবত গোট মৰা চকুপানীয়ে বাট সাজি লৈছিল

Kaushik

গালৰ মাজেৰে। আৱেগৰ এই মহঙা দিনত চকুপানীৰ মূল্য আছে জানো? সৰাপাতৰ দৰে সৰিছিল তাই। এই নিষ্ঠুৰ পৃথিৱীৰ ভৰিৰ চাবত মেৰমেৰকৈ ভাঙিছিল। সময় হ'ল। উঠি আহিল তাই। যন্ত্ৰৱৎ আকৌ ৰুম পালেগৈ। সম্পূৰ্ণ মৰাশৰ দৰেই পাৰ কৰিলে এটা দিন। মোবাইলটোও আঁতৰাই থৈছিল। কাৰ ফোন কাৰ মেচেজ একো চোৱাই নাছিল। ভয় লাগিছিল তাইৰ মোবাইলটোলৈ। ৰাতিটো আকৌ থমকি ৰৈছিল। কোনো চিন্তা নোহোৱাকৈ মাকৰ বুকুৰ মাজত শোৱা সন্ধ্যাই আজি এশ এবুৰি চিন্তা লৈ অকলে পাৰ কৰিছে উজাগৰী নিশা। এৰা, তাই ডাঙৰ হ'ল। খুব ভাগৰ লাগিছে তাইৰ। সময়বোৰ যেন নাযায় নুপুৰাই। তাইৰ ৰাতি শেষ নহয়।

সোমবাৰে ৰাতিপুৱা সন্ধ্যাক প্ৰিয়াই জোৰ কৰি লৈ গ'ল break fast কৰিবলৈ। মন নাছিল যদিও গ'ল তাই। মেচত খাই থাকোঁতেই কাৰোবাৰ ইতিকিং উফৰি পৰিলহি,

"কালিৰ নাটক শেষ হ'ল মানে"

একেকোবতে উঠি মুখ ধোলেহি সন্ধ্যাই। কেনেকৈ পাৰে মানুহবোৰ ইমান কঠুৱা হ'ব? পিছে পিছে প্ৰিয়াও উঠি আহিল,

"অলপ ধৈৰ্য ধৰ সন্ধ্যা, মানুহে ক'বই। আমিতো জানো তই কেনেকুৱা।"

তাৰ পাছত দুয়োজনী ক্লাছলৈ বুলি গ'ল। সন্ধ্যাহঁত যোৱা কিছু সোনকালেই হৈছিল। গোটেই বাটটো তাই এটা শব্দও মুখেৰে উচ্চাৰণ কৰা নাই। প্ৰিয়াইও সোধা নাছিল একো। ক্লাছত নিৰ্দিষ্ট বেঞ্চ খনত বহি অভিমন্যুৰ অপেক্ষাত ৰ'ল সন্ধ্যা। তাই সদায় তাৰ লগতেই বহে, আৰু আজি তাই সকলো কথাই খুলি ক'ব তাক। বহুত হ'ল। আৰু নোৱাৰে তাই। এটা এটাকৈ ক্লাছৰ লগৰবোৰ আহিছিল যদিও কোনেও তাইক এষাৰো মাত দিয়া নাছিল। এজনী চৰিত্ৰহীন ছোৱালী বুলি যেন চিনাকি হৈছিল সন্ধ্যাৰ। এনেতে তাইৰ ভাবত যতি পেলাই অনুৰণ আৰু অভিমন্যু সোমাই আহিল। সন্ধ্যাৰ মুখখন যেন জিলিকি উঠিল। তাই এফালৰ পৰা ক'ব অভিক। কিন্তু তাইক আচৰিত কৰি অভিমন্যুৰ গাৰ কাষেৰে খৰ খোজেৰে আহি কৌশিক তাইৰ কাষত বহিছিলহি। তাৰ বেপেৰোৱা ভংগী। অভিমন্যুয়ে একথিৰে চাই আছিল সন্ধ্যাৰ চকুলৈ। হয়তো সি বিচাৰিছিল তাই কিবা এটা কোৱাটো। কিন্তু সন্ধ্যা নিশ্চুপ। কেনেকৈ ক'ব? কি বুলি ক'ব তাই? তাইৰ এটা এষাৰ কথাই কি ৰূপ ল'ব তাই অনুমানো কৰিব নোৱাৰে। অগত্যা অভিমন্যু কাষৰ লাইনত বহিলগৈ। বিচাৰিছে, সন্ধ্যাই চিঞৰি চিঞৰি ক'ব

Kaushik

বিচাৰিছে, কিন্তু পৰা নাই। নাই পৰা তাই নিজৰ এটা পক্ষ ল'ব। কেতিয়া পাৰিব তাই !!!

(আগলৈ)

#নিৰিবিলি

Part 23

অলপ সময় অভিমন্যুলৈ চাই আছিল সন্ধ্যাই। কৌশিক যেনিবা বহিলেই। সি কিয় তাৰ কথা মতে উঠি যাব লাগে। তাই বাৰু বাধ্য হৈ মনে মনে আছে, কিন্তু তাৰটো একো বাধ্যবাধকতা নাই। সি কিয় কৌশিকৰ প্ৰতিবাদ নকৰিলে। নে সিও আনবোৰৰ দৰেই তাইক....।

তেনেতে বৰুৱা ছাৰ সোমাই অহাত ক্লাছটো আৰম্ভ হ'ল। ছাৰে History of English Literature পঢ়াবলৈ লৈছিল। জন কীটছৰ কবিতাৰ Characteristics ৰ কথাত তেখেতে জন কীটছৰ বিখ্যাত কবিতা "Ode to Nightingale" ৰ কথা ক'বলৈ লৈছিল।

কবিতাটোৰ প্ৰথম শাৰীকেইটা কৈ বুজাইছিল তেওঁ,

"My heart aches, and a drowsy numbness pains

My sense, as though of hemlock I had drunk......"

নিদ্ৰাৰে ভাৰাক্ৰান্ত স্তব্ধ হৃদয়খন আজি এনেদৰে বিষাইছে, যেন কোনো প্ৰখ্যাত হলাহল বিহ পি দিছোঁ।

এৰা, সন্ধ্যাৰ এনে লাগিছে যেন কবিতাটোৰ শাৰীকেইটাই তাইৰ অৱস্থাটোকেই কৈছে। প্ৰতিটো উশাহ যেন খুউৱ কষ্টৰে লৈছে তাই। বুকুৰ মাজত যেন বৃশ্চিকৰ কামোৰ। সাহিত্য ; বৰ আচৰিত সঁচাই। মানুহৰ মনৰ ভিতৰৰ অনুভূতিবোৰ কিদৰে প্ৰকাশ কৰে শব্দৰ যাদুৰে? সেয়ে হয়তো কোৱা হয়, বিজ্ঞানে আৱিস্কাৰ কৰিব পাৰে কিন্তু সৃষ্টি অকল সাহিত্যৰেহে সম্ভৱ। সকলোৰে মাজতেই সাহিত্য আছে। লাগিলে তেওঁ কোনোবা বিজ্ঞানীয়েই নহওঁক কিয়। এই যে আজি জন কীটচৰ কবিতাটোৱে তাইক নিজৰ জীৱনটোৰ কথা ভবাই তুলিছে, তাতেইতো সাহিত্যৰ সাৰ্থকতা।

সঁচাই খুব নিষ্ঠুৰ এই সময়। যিটো ল'ৰাৰ কাৰণে তাই লগৰ খিনিৰ পৰা আঁতৰি আহিল, যিয়ে তাইক জীৱন্ত মৰাশলৈ সলনি কৰিছে, যাৰ কাৰণে অভিমন্যুয়েও আজি

Kaushik

তাইক সন্দেহৰ দৃষ্টিৰে চাইছে তাৰ লগত তাই বহি আছে। কিয়? বাধা দিব খুজিও পৰা নাই তাই। তাই ইমান দুৰ্বল নে? সৰুৰে পৰাই কেৱল পৃথিৱীৰ ভাল ৰূপটো দেখি অহা সন্ধ্যাই এই অৱস্থাত আজিলৈকে পৰা নাছিল। ককাক আইতাকৰ পৰা আৰম্ভ কৰি সৰু ভনীয়েকলৈকে সকলোৱে মৰমেৰে আৱৰি ৰখা সন্ধ্যাই ভাবিবই পৰা নাছিল যে মানুহ ইমান তললৈও যাব পাৰে। কৌশিকৰ দৰে চৰিত্ৰ সন্ধ্যাৰ জীৱনত এইয়াই প্ৰথম। ঘৰত সদায় সকলো ভাল, সকলোৰে লগত ভাল হৈ থাকিবা এইবোৰেই শুনি আহিছে তাই। সেইবাবেই তাই বুজা নাই ইয়াৰ কিদৰে মুখা মুখি হ'ব। সকলো সময়তে কাষত থকা অভিমন্যুও যে আঁতৰি আছে তাইৰ এই অৱস্থাত। তাই বিচাৰে তাক। কিন্তু নাই। সিদিনা ৰাতি ফোন কৰিছিল, সি নুশুনিলে। হয়তু খং উঠিছিল তাৰ। খং উঠা কামেই কৰিছে বাৰু তাই। কিন্তু তথাপিও। অনুৰণতো সদায়েই নিৰ্বিকাৰ। কি বুলি সহায় খুজিব তাই তাক? কি কৰিব সন্ধ্যাই। কোন থিয় দিব তাইৰ কাষত? নে অকলেই এইদৰে শেষ হৈ যাব তাই?

কথাবোৰ ভাবি থাকোঁতেই সন্ধ্যাই অনুভৱ কৰিলে কাষত বহা কৌশিকৰ হাতখনে যেন প্ৰয়োজনতকৈ অধিক আগবাঢ়ি আহিছে তাইৰ ফালে। কঁকালৰ পৰা ক্ৰমান্বয়ে ওপৰলৈ উঠি আহিছে। কঁপি উঠিল সন্ধ্যা। কি কৰিব তাই। চিঞৰি দিব নেকি? কি হ'ব চিঞৰি দিলে? ক্লাছটোত এটা হুলস্থুল? তাই জানে, বেছি ভাগে তাইৰ কথাই বিশ্বাস কৰিব। কৌশিকক উলিয়াই দিব ক্লাছৰ পৰা। কিন্তু তাৰ পাছত? সেই ফটোখন? উস্, নাই ভাবিব নোৱাৰে তাই। কাষৰ শাৰীটোৰ শেষৰ বেঞ্চত বহা অভিমন্যুলৈ চালে অসহায় দৃষ্টিৰে। সি নিজৰ লগতে ব্যস্ত। ইফালে ক্লাছটো চলিয়েই আছে। হাতখনে সাপৰ দৰে মেৰাই আহিছে তাইক। উপায় নাপাই শেষত বেগটো আনি কৌশিক আৰু তাইৰ মাজত ৰাখি দিলে। দুচকু পানীৰে উপচি আহিছিল যদিও জোৰকৈ সামৰি ৰাখিলে সন্ধ্যাই। খুব জোৰকৈ আহিব খোজা চিঞৰটোকো চেপি ৰাখিলে কষ্টৰে। কি ৰূপ দেখুৱাইছে তাইক জীৱনে। কেনেকৈ যে ওলাব তাই এইবোৰৰ পৰা। এনেকৈয়ে ক্লাছটো শেষ হ'ল। শেষৰ ফালে কি পঢ়ালে একো মূৰত নোসোমাল তাইৰ। সেই কবিতাশাৰী হে মনত বাজি আছিল,

"My heart aches, and a drowsy numbness pains......"

ছাৰ ওলাই যোৱাৰ পাছতেই সন্ধ্যাই কিতাপ বহী সামৰি যাবলৈ ওলাল। নাই, আজি আৰু ক্লাছ কৰিব নোৱাৰে তাই। গোটেই দিনটো কৌশিকৰ লগত বহি থকাটো কেতিয়াও সম্ভৱ নহয় তাইৰ বাবে। বেঞ্চৰ পৰা উঠি দুৱাৰ খনৰ ফালে আগবাঢ়ি

Kaushik

যাওঁতেই হঠাৎ সিফালৰ পৰা অহা পৰীৰ খুন্দাত বেগটো পৰি গ'ল সন্ধ্যাৰ। সন্ধ্যাই "ছৰী" বুলি ক'ব লওঁতেই, "চিগাৰেট ??" পৰীয়ে আচৰিত হৈ চিঞৰি উঠিল। গোটেই ক্লাছটোৱে চিঞৰ শুনি সিহঁতৰ ফালে চালে। হয়, পৰীৰ খুন্দাত সন্ধ্যাৰ হাতৰ পৰা খহি পৰা বেগটোৰ কাষৰ চেইন নথকা পকেট টোৰ পৰা ওলাই পৰিছিল এটা চিগাৰেটৰ পেকেট। কাঁহ পৰিহে যেন জীন গৈছিল, তেনে পৰিৱেশ সৃষ্টি হৈছিল ৰূমটোত। প্ৰথমেই প্ৰিয়া আগবাঢ়ি আহিল,

"সন্ধ্যা, কি এইবোৰ?" কিন্তু সন্ধ্যাই যেন একো শুনাই নাই। সেই আগৰ জড়তা তাইৰ শৰীৰত। এইবাৰ জুৰিয়ে আহি জোকাৰি দিলে তাইক,

"মুখেৰে নামাত কিয় তই, কি হৈছে তোৰ?"

নিশ্চুপ সন্ধ্যাই কৰুণ দৃষ্টিৰে অভিমন্যুলৈ চালে। কওঁক, সি কিবা এটাটো কওঁক। গোটেই ক্লাছটোৱে নাজানিলেও সি অন্ততঃ জানে তাই কেনেকুৱা। সৰাফুল বুটলা সন্ধ্যাই কি ছিগাৰেটৰ ধোঁৱা উৰাব?

"বাহিৰে ইমান মহান হৈ দেখুৱাই, আৰু ভিতৰি এয়া। ডিপাৰ্টমেন্টতো বাদ দিয়া নাই, বাথৰুমত গৈ খাই আহেগৈ চাগে" ক্লাছত সকলোতকৈ মুখ চোকা বুলি নাম থকা সুনীতাই সকলোৰে শুনাকৈ কৈছে। ছোৱালীবোৰৰ মাজত গুণগুণণি আৰম্ভ হ'ল। এটাৰ পাছত এটাকৈ বেজিৰ দৰে শব্দবোৰে আঘাত কৰিছে তাইক।

"খাইছ খা, এইবোৰ নিজৰ কথা। বাট্ ক্লাছলে যে আনিব নালাগে আৰু দেই।"

"যিমান হ'লেও ছোৱালী মানুহ এইবোৰ ভাল নেদেখি পাই"

"হেই, ছিগাৰেটটো মইও খাওঁ। বাট্ এনেকৈ বাহিৰে ইমান সীতাদেৱী টাইপ বিহেভ কৰি নাথাকোঁ আৰু দেই"

চকু মুদি কেৱল শুনিছিল সন্ধ্যাই। নিশ্চুপ হৈ বুটলিছিল বেগটো আৰু সিচঁৰতি হোৱা দুই এখন বহী। সিঁচৰতি হোৱা জীৱনটোও বুটলিব পাৰিবনে তাই?

চাৰিওফালৰ বিভিন্ন আক্ৰমণত অকলশৰীয়া তাই। কিন্তু ইমানৰ পাছতো সন্ধ্যাৰ হৈ এষাৰ মাত নিদিলে অভিমন্যুৱে। সকলোৰে সন্মুখত তাই এইদৰে অপমানিত হোৱাৰ পাছত সি কিদৰে নিথৰ হৈ থাকিব পাৰে সন্ধ্যাই ভাবি পোৱা নাই। তাৰ কি সেইখিনিও বিশ্বাস নাই? তাইৰ জ্বৰ এটা হ'লেই শান্তিত থাকিব নোৱাৰা সি কিয় ৰৈ

Kaushik

আছে এনেদৰে? এৰা, আন্ধাৰততো নিজৰ ছাঁটোৱেও লগ এৰে। সিতো তেজ মঙহৰ মানুহহে।

এটা সময়ত সন্ধ্যা আৰু থিৰেৰে থাকিব নোৱাৰা হ'ল। বুকুত বেগটো সাৱটি জোৰেৰে দুৱাৰখন মাৰি দৌৰি ওলাই গ'ল তাই অযুত প্ৰশ্ন বুকুত লৈ। কাষত কৌশিক বহাৰ পাছত বেগত ছিগাৰেটৰ পেকেটটো ক'ৰ পৰা আহিব সেইটো সকলোৱেই জানে। কৌশিকৰ চৰিত্ৰৰ বিষয়ে নজনা মানুহ নাই ক্লাছত। কিন্তু তাৰ পাছতো আনটো বাদেই অভিমন্যুও তাইৰ কাষত থিয় নহ'ল। নোৱাৰে সন্ধ্যাই এই আঘাত সহিব।

ক্লাছৰ পৰা আহি চিধা হোষ্টেলৰ ৰুমত সোমায়েই বিচনাত বাগৰি হুকহুকাই কান্দিলে তাই। ৰুমত বিদিশা নাই। দিনত সকলোৱেই ক্লাছত থকাৰ বাবে সিহঁতৰ উইংটো খালীয়েই প্ৰায়। বাউলী চুলি চিঞৰি চিঞৰি কান্দিছিল তাই। শেষত শব্দবোৰ নোলাবলৈ মুখ খন সোপা মাৰি দিছিল গাৰুটোত। উস্, উশাহবোৰ ইয়াতেই ৰৈ যোৱা হ'লে।

কিমান সময় তেনেকৈ পৰি থাকিল সন্ধ্যাই নিজেও ক'ব নোৱাৰে। ভাত খোৱাৰ সময়ো কেতিয়াবাই পাৰ হৈ গ'ল। মূৰ্তিৰ দৰে বিচনাত পৰি আছে সন্ধ্যা। বিদিশা এবাৰ আহি আকৌ ক্লাছলৈ ওলাই গ'ল। তাই টোপনিত আছে বুলি ভাবিয়েই হ'বলা মাত নলগালে। হঠাৎ ফোনটো বাজি উঠিল। মন নাছিল যদিও উঠালে তাই। সিপাৰত অভিমন্যু,

"ক্লাছ নকৰি, ভাত নাখাই বিচনাত বহি কান্দি থাকিলে problem solve নহয়। এইবোৰ ঢং কৰি লাভ নাই"

সন্ধ্যাৰ প্ৰচণ্ড খং উঠিল। ক্লাছত তাইৰ হৈ এষাৰ মাত মাতিবতো নোৱাৰিলেই, আৰু এতিয়াও তাইক সান্তনা দিয়াৰ সলনি এয়া কথা কোৱাৰ ধৰণ তাৰ। ইমান কঠুৱা কেনেকৈ হ'ব পাৰে সি। ক্ষোভেৰে উত্তৰ দিলে তাই,

"তেন্তে ফেনত ওলমি দিওঁ, তেতিয়া তহঁত চবেই বিশ্বাস কৰিবি মোক।"

"সেইটো solution হোৱা হ'লে পৃথিৱীত মানুহ জীয়ায়েই নাথাকিল হয়।" ,খঙত মাতটো কঁপি উঠিছে তাৰ, "মোৰ আগত এইচব ফাল্টু কথা নকবি, একো sympathy নাপাব মোৰ পৰা।"

Sympathy? Sympathy পাবলৈ এইবোৰ কৰিছে নেকি তাই?

Kaushik

"তেন্তে আৰু কি কৰিম মই ক।" কান্দোন মিহলি হৈ ওলাইছিল সন্ধ্যাৰ মাতটো।

"কি কৰিম মানে, মনে মনে থকাৰ বাহিৰে তই আৰু কৰিছই বা কি?" চিঞৰি উঠিছে অভিমন্যুয়ে।

"মই বাৰু মনে মনে আছোঁ, কিন্তু তই, তই কি একো ক'ব নোৱাৰ? মই কেনেকুৱা নাজান তই, চবেই ইমান বেয়াকে কোৱাৰ পাছতো অকল শুনি আছিলি তই। মই কিয় মনে মনে আছোঁ তই জানো জান?" সন্ধ্যাই একে উশাহেৰে ক'লে কথাখিনি। শেষলৈ উশাহটো চুটি হৈছিল তাইৰ।

"মই কি কৰিম? প্ৰব্লেমটো তোৰ নে মোৰ? চা সন্ধ্যা, যদি তই কিবা action ল'লি হয়, কিন্তু তাৰ পাছতো চবেই কিবা কোৱা হয় মই ক'লোহেঁতেন, কিন্তু তইতো মুখেৰেই মাতা নাই। এনেকৈ থাকিতো তই কৌশিককেই support কৰি আছ। জীৱনত নিজৰ ভাৰ নিজেই উঠাব লাগিব সন্ধ্যা, কাৰণ বেলেগৰ কান্ধত উঠি অকল মৰাশ হে যায়।"

"মই নোৱাৰো অ' অভি...." শব্দ কৰি কান্দি উঠিল সন্ধ্যাই।

"কিয় নোৱাৰিবি? তই নিজে জান যে তই ভুল কৰা নাই, তেন্তে কিহৰ ভয়? কিয় নিজৰ হৈ কথা কোৱাৰ সাহস নাই তোৰ? কোনো দোষ নোহোৱাকৈ তোক কোনোবাই দোষ জাপি যাব আৰু তই মনে মনে থাকিবি নে? অন্যায় কৰাতকৈ সহ্য কৰাটো বেছি ভুল সন্ধ্যা। আজি তোৰ হৈ মই ক'ব পাৰোঁ, কিন্তু নকওঁ, কাৰণ কেইদিনলে মই তোক বচাই থাকিম? তই নিজেই নিজৰ stand ল'ব লাগিব। তাৰ পাছত যদি কিবা হয়, তেতিয়া মই আছোঁ। তই উজুটি খালে মই ধৰিম, কিন্তু খোজকঢ়াত তোক সহায় কিয় কৰিম?" উত্তেজনাত অভিমন্যুৰ মাতটোতো যেন এক কঁপনি মিহলি হৈ আছিল।

"তই নাজান অভি, সি মোৰ ফটো তুলি মোক ব্লেকমেইল....." তাই শেষ কৰিবলৈ নাপাওঁতেই সি আকৌ ক'লে,

"নক'বি মোক এইবোৰ। একো নুশুনো মই। একো নুবুজো। মাত্ৰ এটাই জানো, পৃথিৱীত এনেকুৱা একো সমস্যা নাই, যাৰ সমাধান মানুহৰ হাতত নাথাকে। ভগৱানেও তেওঁকহে সহায় কৰে যি নিজৰ সহায় নিজে কৰে। কুৰুক্ষেত্ৰত অৰ্জুনে তোৰ নিচিনাকে কান্দি থকা হ'লে জিকিলে হয় নে? পাৰ্বতী দুৰ্গা নোহোৱা হ'লে মহিষাসুৰ মৰিলে হয় জানো? ল'ৰাই সহায় নকৰিলে ছোৱালীবোৰে কি একো কৰিবই নোৱাৰিব নেকি?

Kaushik

মন্দিৰৰ ভিতৰত দুৰ্গা নাই, প্ৰতিজনী ছোৱালীৰ বুকুৰ সাহসত দুৰ্গা আছে। মূৰ্তিৰ মাজত কৃষ্ণ নাই, প্ৰতিজন মানুহৰ আত্মাত কৃষ্ণ আছে। নিজক সোধ। কাক ভয় কৰিছ তই। নিজে যদি ঠিক পথত আছ কোনে কি কৰিব তোক হা?"

অভিমন্যুৰ কথাবোৰে ভবাই তুলিলে সন্ধ্যাক। সঁচাই, তাই কিয় ইমান দুৰ্বল। কিয় মুখেৰে মাতিব পৰা নাই তাই? কৌশিকৰ ষড়যন্ত্ৰৰ জুইকুৰাত তাইৰ মৌনতায়েই জানো ঘিউঁ ঢালি থকা নাই? তাইৰ দুৰ্বলতাকেই আঘাত কৰিছে কৌশিকে।

"সাহস দে নিজক সন্ধ্যা। নিজৰ কাৰণে মাত মাতিবলৈ শিক। মই আছোঁ আৰু সদায় থাকিম, কিন্তু নিজৰ সহায় তই নিজেই কৰিব লাগিব। আৰু নকওঁ একো। যি ভাল দেখ কৰ।" কথাখিনি কৈ ফোনটো থ'লে সি।

ঠিক, ঠিক কৈছে সি। আনৰ কান্ধত উঠি কেৱল মৰাশ যায়। তাই মৰাশ নহয়। তাই সন্ধ্যা। তাই এতিয়াও দেউতাৰ ছোৱালী। কিয় বিশ্বাস নকৰিব তাইক দেউতাকে? কৰিব, কৰিব লাগিব। কৌশিকে দেউতাকলৈ ফটো দিয়াৰ ভয় দেখুৱাইছিল নহয়? তাই নিজেই ক'ব আজি। তাই দেউতাকলৈ ফোন লগালে।

"কোৱা ৰুণজুন" ফোনটো ধৰিয়েই ক'লে দেউতাকে। হয়তো অসময়ত ফোন কৰাৰ বাবে কিছু আচৰিত হৈছিল।

"তুমি মোক বিশ্বাস কৰা নে দেউতা?" তাইৰ মাতটো কান্দোনৰ সুৰটো যদিও আছিল, আগতকৈ যেন কিছু দৃঢ়।

"এইবোৰ কি কৈছা ৰুণ? কিয় নকৰিম বিশ্বাস?" আচৰিত হোৱাৰ পাল দেউতাকৰ। কি হ'ল ছোৱালীজনীৰ।

"কেতিয়াবা যদি এনেকুৱা কিবা বস্তু দেখা যিয়ে মোক সকলোৰে আগত বেয়া সজাই, তেতিয়া?" জোৰেৰে কান্দোনখিনি চেপিছিল তাই।

"তুমি মোৰ ছোৱালী ৰুণজুন। তুমি স্বাভিমান মোৰ বাবে। মোৰ সংস্কাৰৰ ওপৰত মোৰ বিশ্বাস আছে সম্পূৰ্ণকৈ। কোৱা চোন কি হৈছে।" কাষৰ পৰা মাকেও কিবা এটা কৈছিল হ'বলা।

"দেউতা, সিদিনা আমি অগ্নিগড় যাওঁতে......." সকলো কথা বিতংকৈ কৈ গৈছিল সন্ধ্যাই। মেচেজৰ পৰা ফটোলৈ। স্পৰ্শৰ পৰা ছিগাৰেটলৈ।

Kaushik

"কোৱা দেউতা, বিশ্বাস কৰিছা নে মোক এতিয়াও?" শেষলৈ কান্দোনখিনি ৰখাব নোৱাৰিলে সন্ধ্যাই।

"এখন সাধাৰণ ফটোৱে মোৰ ছোৱালীৰ বিশ্বাসক হৰুৱাব নোৱাৰে ৰুণজুন। এই সৰু কথাটো লৈ ইমান চিন্তা কিয় কৰিছা? দিয়ক সি মোলৈ ফটো। মই উত্তৰ দিম সকলোকে। যেতিয়ালৈকে মোৰ ছোৱালীয়ে মোৰ চকুত চকু থৈ কথা ক'ব পাৰিব তেতিয়ালৈকে মই সমাজৰ ভয়ত মুখ নোলোকোৱাও। তুমি যোৱা ৰুণ, সুদাই নেৰিবা তাক। এনেকুৱা এটা শিক্ষা দিয়া, যাতে দ্বিতীয় বাৰ আন ছোৱালীক লৈ সি খেলা কৰিব নোৱাৰে।"

ফোনটো থ'লে সন্ধ্যাই। বুকুৰ ওপৰৰ গধূৰ শিলৰ টুকুৰাটো খহি পৰিছিল। অনুভৱ কৰিছিল তাই, যি সন্তানৰ শিৰত পিতৃ মাতৃৰ আশীৰ্বাদ স্বৰূপ হাত থাকে, সেই সন্তানে পৃথিৱী জয় কৰিব পাৰিব। আইনাত নিজক চালে তাই, মুখৰ চকুপানীৰ দাগবোৰ মচি পেলালে। দেউতাকে তাইক বিশ্বাস নকৰিব বুলি ভবা কথাটোত নিজৰ ওপৰতেই খং উঠিল এতিয়া। ইমান দিনে তাই বুজিয়েই নাপালে দেউতাকক। এইবাৰ চাব তাই। কৌশিক!! বৰ বেয়া কাৰোবাক জোকাই ল'লে এই ল'ৰাটোৱে। সন্ধ্যা আচলতে কি, অকল কৌশিককে নহয় সকলোকে বুজোৱা দৰকাৰ।

Kaushik

মুখখন ধুবলৈ বুলি বাথৰুমলৈ গ'ল সন্ধ্যা। মুখত পানী মাৰিলে। নতুনকৈ চাইছে যেন তাই নিজক। নতুনকৈ নিজক সজাব তাই। উভতি ৰুমলৈ আহোঁতে কৰিডৰত ৰুবীয়ে পাই এখোঁচ মাৰিলে,

"হয়নে সন্ধ্যা, আজি হেনো বেগত কিবা ওলালে?" সিদিনাও ৰুমত তাই কান্দি থাকোঁতে এই ৰুবীয়েই কিবা কৈছিল। আৰু আজি ৰাতিপুৱা মেচতো ৰুবীৰেই মাত আছিল সেইটো। সহ্য নহ'ল সন্ধ্যাৰ।

"তুমি দেখিছিলা ৰুবী?" মুখতেই ধৰিলে সন্ধ্যাই।

"নাই নহয় মানে চবেই কৈছে যে। মই শুনিছোঁ হে আৰু।" ৰুবীয়ে যেন থতমত খাইছে।

"বেলেগে কোৱাটো বাদ দিয়া, তুমি নিজেতো নাছিলা তাত। গতিকে বেলেগৰ কথা খুচৰাতকৈ নিজৰ কাম কৰা। আমিওতো বহুত কথাই শুনিছোঁ, তুমি যে যোৱা

সপ্তাহত ঘৰলৈ যোৱাৰ sign লৈ ঘৰ যোৱা নাছিলা। আমিতো সেইবোৰ খুচৰা নাই ন? নে খুচৰিব লাগে নেকি ৰুবী?" বিদিশাহঁতৰ আলোচনাত ৰুবীৰ সকলো কথা গম পাইছিল সন্ধ্যাই।

সন্ধ্যাৰ প্ৰত্যাক্ৰমণত বাৰুকৈয়ে হতচকিত হ'ল ৰুবী। সন্ধ্যাৰ এই ৰূপ যে কল্পনাৰো বাহিৰ। চকু ডাঙৰ হৈ গৈছিল তাইৰ। অনবৰতে কেৱল হাঁহি মাতি কথা কোৱা, আজি ৰাতিপুৱালৈকে চকুপানী টুকি থকা এইৰ হঠাৎ কি হ'ল? কিন্তু ৰুবীয়ে জনা নাছিল। মানুহ সলনি হ'বলৈ মাত্ৰ এটি মূহুৰ্তয়েই যথেষ্ট। আচৰিত হৈ মুখৰ পৰা একো মাত নোলাল তাইৰ।

"কি হ'ল ৰুবী? আৰু ক'ম নেকি? সিদিনা SOE ৰ ফালে হেনো....." সন্ধ্যাৰ কথা শেষ নহওঁতেই ৰুবীয়ে ক'লে,

"Sorry, sorry সন্ধ্যা। বেয়া নাপাবা। বেলেগে যি কয় কওঁক। মই জানোতো তুমি ইমান বেয়া ছোৱালী নহয়। বাৰু মই আহোঁ দেই" আঁতৰি গ'ল তাই থৰ খোজেৰে। যেন পলাইছিলহে। তাই যোৱাৰ ফালে এক বিশেষ তৃপ্তিৰে চালে সন্ধ্যাই। এৰা, শব্দৰ আঘাত শব্দৰেই দিয়া উচিত।

সন্ধ্যা নিজেও আচৰিত হৈছিল। লগতে আহিছিল আত্মবিশ্বাস। কৌশিকৰ এই জঘন্য বেহুৰ পৰা নিজকে উলিয়াব তাই। মুখ ধুই আহি ৰুমত ধূপ এডাল জ্বলাই ল'লে সন্ধ্যাই। কৃষ্ণৰ মূৰ্তিটোৰ সমুখত মূৰ দুপিয়ালে। ইতিমধ্যে আন্ধাৰ নামি আহিছিল। বহুত হ'ল চকুপানী। এতিয়া নিজৰ হৈ অকলে থিয় দিয়াৰ সময়। জীৱনৰ এটি কেঁকুৰিত থিয় হৈছিলহি সন্ধ্যা। আলসুৱা সন্ধ্যাৰ কঠোৰতাৰ দিশত যেন এয়া প্ৰথম খোজ। এইবাৰ একোৱে ৰখাব নোৱাৰে তাইক।

মেগনোলিয়াৰ বাৰত দামী মদৰ গিলাচত বৰফৰ টুকুৰা ঢালিছে কৌশিকে। ৰঙা নীলা লাইটৰ পোহৰত অশ্লীল হাঁহিৰে লগৰ কেইটাৰ আগত বৰ্ণনা কৰিছে তাৰ আঙুলিত চালত নচা "বেচেৰী" সন্ধ্যাৰ কথা। দিনৰ সফলতাত নিচাত ব্যস্ত থকা কৌশিকৰ উমান নাছিল বাহিৰৰ গুজৰি গুমৰি অহা বৰষুণজাকৰ কথা।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 24

সন্ধিয়া বৰষুণ আহিল। খুব জোৰকৈ। সৰুতে বৰষুণত গাজনি মাৰিলে খুব ভয় খাইছিল সন্ধ্যাই। এতিয়াও কমা নাই যদিও আগৰ নিচিনা নহয়। খিৰিকীৰ কাষত বহি হাত উলিয়াই বাহিৰৰ টোপাল বোৰ চুই আছিল তাই। বৰ ভাল লাগে এই বৰষুণৰ পৰশবোৰ। চেৰ চেৰ শব্দবোৰ। দুদিনৰ পাছত অলপ মনটো মুকলি লাগিছিল সন্ধ্যাৰ। ওলাইও গ'লহেঁতেন এপাক। পিছে এই বৰষুণ ডালত উপায় নাই। তাতে ছাতিটো বিদিশা বাই নিলে। এনেতে এবাৰ মোবাইলত মেচেজ,

"Oi" তলত অনুৰণৰ নাম।

"Kua" তাই দিলে।

"Thike asa tu tumi?" অহ্, তাৰো চিন্তা হৈছে মানে তাইক লৈ।

"Asu Ron"

"Besi navabiba, sob thik hoi jabo."

এৰা, ঠিক হ'ব। তাই ঠিক কৰিব চব। কৌশিক, বেয়া দিন আহি আছে তোমাৰ। তাৰ কথা মনত পৰিয়েই দাঁত কেইটা কৰচি উঠিল সন্ধ্যাই।

টক্ টক্, হঠাৎ দুৱাৰত শব্দ। কোনোবা আহিছে হ'বলা। লিপিস্মিতা সোমাই আহিল। সিদিনা এমিনিটীত অভিমন্যুৰ লগত যাওঁতে লগ পাইছিল তাইক সন্ধ্যাই।

"আৰে সন্ধ্যা, বিদিশাৰ ৰুমমেট তুমি নেকি?"

সন্ধ্যাই মূৰ দুপিয়ালে। বিদিশাও মাচ কমৰেই হয়। সিহঁত ক্লাছমেট মানে।

"এইখন বিদিশাক দি দিবাচোন। তাই কেতিয়াবাই পঢ়িবলৈ বিচাৰিছিল, মই ঘৰৰ পৰা আহোঁতে লৈ আনিছিলোঁ। মই যাওঁ, প্ৰেকটিছলৈ দেৰি হৈছে" হাতত থকা কিতাপখন সন্ধ্যালৈ আগবঢ়াই লিপি ওলাই গৈছিল খৰখেদাকৈ। সন্ধ্যাই চালে, ৰীতা চৌধুৰীৰ "দেওলাংখুই"। সন্ধ্যাই পঢ়িছে আগতে। খুব ভাল লাগে তাইৰ এই উপন্যাসখন। তেনেই আজলী ৰাণী চন্দ্ৰপ্ৰভা কিমান যে কষ্ট সহ্য কৰি আগুৱাই গৈ আবি কনচাৰী হৈছিল গৈ। আৰিমত্ত আৰু গংগাৱতীৰ আধৰুৱা প্ৰেমকাহিনী, এতিয়াও পুলকিত হৈ পৰে তাই মনত পৰিলে। অভ্যাসবশতঃ কিতাপৰ পাত দুই এখিলা লুটিৱাওতে তাইৰ চকুত পৰিল প্ৰথম পৃষ্ঠাতে লিপি বাই সুন্দৰ আখৰৰে লিখি থোৱা বাক্যশাৰী,

Kaushik

"প্ৰয়োজন আছিল সকলোবোৰৰ ; নহ'লে চন্দ্ৰপ্ৰভা হ'ল হয় জানো আবি কনচাৰী"

কথাষাৰে মন্ত্ৰৰ দৰে চুলে সন্ধ্যাক। হয়তো, ৰজা প্ৰতাপচন্দ্ৰই সন্দেহ কৰি ৰাণী চন্দ্ৰপ্ৰভাক ৰাজ্যৰ পৰা নিৰ্বাসন নিদিয়া হ'লে তাই জানো গোভা ৰাজ্যৰ সৰ্বেসৰ্বা স্বৰূপ আবি কনচাৰী হ'ব পাৰিলে হয়। কষ্টবোৰ পালে বাবেইতো তাই শক্তিশালী হ'ল। এৰা, কষ্ট অবিহনে শক্তি কিদৰে পাব? তেন্তে সন্ধ্যাই কিয় নোৱাৰিব? বহুত খেল খেলিলে কৌশিকে। কিন্তু তাই খেল নেখেলে। এবাৰতে তাক সৈ কঢ়াব তাই। তাকো সকলোৰে আগত। কিতাপখন জপাই থ'লে টেবুলত। মনটো আগতকৈও ডাঠ হ'ল। সঁচাই, কেতিয়াবা কিছুমান মানুহে গম নোপোৱাকৈয়ে আমাক আচৰিত ধৰণে সহায় কৰি যায়। লিপি বাৰ সেই বাক্যশাৰীও সেইদৰে মনত ৰৈ গৈছিল তাইৰ।

অলপ পাছত বিদিশা বা আহিল।

"সন্ধ্যা, এইয়া ল। তই ভাল পোৱা শ্বপিং কম্প্লেক্সৰ চিকেন ম'ম'। এনেই বৰষুণৰ বতৰ। সেইবাবেই তোলৈ লৈ আনিছোঁ।"

সন্ধ্যাৰ ঘৰলৈ মনত পৰি গ'ল। দেউতাকেও আগতে তাইলৈ অফিচৰ পৰা আহোঁতে কিবা লৈ আহে। গাড়ীৰ শব্দ শুনিয়েই দৌৰি ওলাই আহে তাই। দেউতাকে হাতত তুলি দিয়ে চকলেট নাইবা চিপচৰ পেকেটটো। কেতিয়াবা চিংৰা নহ'লে চাওমিন।

"কি হ'ল? ল আকৌ।" ম'ম' কেইটা উলিয়াই সমুখত ধৰি ক'লে বিদিশাই।

"থেংক ইউ বা। খুব ভোক লাগি আছিল।" তাই যে দিনতো ভাত নাখালে। বৰ তৃপ্তিৰে খালে ম'ম' কেইটা।

"সন্ধ্যা, মই নাজানোঁ তোৰ কি অসুবিধা হৈছে। তথাপিও কওঁ, এনেকুৱাই জীৱনটো। যুঁজিবলৈ শিক।" তাইৰ মনটো ফৰকাল দেখি বিদিশাই কৈছিল। সন্ধ্যাই মূৰ দুপিয়ালে। ক'ব, তাই বিদিশাকো চব ক'ব। কিন্তু তাৰ আগতে কৌশিকক তাৰ উচিত পুৰস্কাৰটো দি ল'ব। দিনত ভাত নোখোৱাৰ বাবেই ৰাতি সোনকালে ভাত খাই শুই গ'ল তাই। অনুৰণে এবাৰ মেচেজ দিছিল,

"Kailoi din tu tumar hobo"

কম কথা কোৱা ল'ৰাটোৰ এই কথাবোৰে মনটো ভৰাই তোলে সঁচাকৈ। সন্ধ্যা টোপনি গ'ল। নতুন দিনৰ সপোন ৰচি।

Kaushik

"তই?"

ৰাতিপুৱা ক্লাছলৈ বুলি আগতীয়াকৈ ওলাই ৰুমলৈ অহা সন্ধ্যাক দেখি কিছু আচৰিত হ'ল প্ৰিয়া। কালিৰ ঘটনাৰ পাছত আজি ইমান স্বাভাৱিক অৱস্থা অপ্ৰত্যাশিত।

"ব'ল, ক্লাছলৈ নাযাঁৱ?" সন্ধ্যাৰ এনে স্বাভাৱিক ব্যৱহাৰত আচৰিত হ'লেও সুখী হ'ল প্ৰিয়া। হওঁক তেও, তাই নিজকে চম্ভালিব পাৰিছে।

সময় মতেই ক্লাছত বহিল গৈ দুয়ো । বেছিখিনি আহিছে যদিও সকলো অহাই নাই তেতিয়াও। প্ৰথম ক্লাছটো এনেকুৱাই হয়। হোষ্টেলত ৰাতি দুটা তিনিটাত শুই ৰাতিপুৱা নটাত ক্লাছ কৰাটোও কম ট্ৰেজেদী নহয়। বিশেষকৈ সোমবাৰৰ ৰাতিপুৱাৰ প্ৰথম ক্লাছটো যে আটাইতকৈ কষ্টৰ কাম হোষ্টেলাৰ খিনিৰ বাবে। শনি, দেও দুটা দিনৰ বন্ধৰ অন্তত সোমবাৰটো যেন ভয়ংকৰ কিবা এটা হৈ থিয় দিয়ে সমুখত। ৯০% উপস্থিতি বাধ্যতামূলক নোহোৱা হ'লে ক্লাছ কৰা মানুহৰ সংখ্যা নামঘৰৰ ভাওনাৰ শেষ ৰাতিৰ দৰে হ'লহেঁতেন।

অনুৰণ আৰু অভিমন্যুহঁতো অহা নাই। সন্ধ্যাই দুৱাৰমুখলৈ বাৰে বাৰে চাই আছে। এনেতে কৌশিক সোমাল। আগৰ দৰেই কৌশিক আহি সন্ধ্যাৰ কাষত বহিব লওঁতেই থিয় হ'ল তাই,

"ইয়াত অভি আছে"

ঠিক সেই সময়তে অভিমন্যুও আহি ঠিক দুৱাৰমুখ পাইছিলহি। সন্ধ্যাৰ গম্ভীৰ স্বৰত সকলোৱে ঘূৰি চাইছিল তাইলৈ। নাচাবই বা কিয়। প্ৰায় তিনি দিন মানৰ মূৰত তাইৰ মাত ওলাইছে। তাতে সন্ধ্যাৰ এই গহীন স্বৰ যে সকলোৰেই অচিনাকি। তাইৰ কথাক আওকাণ কৰি কৌশিক বহিবলৈ বেগ থৈছিল। যেন তাইৰ কথাৰ কোনো মূল্যই নাই। খঙত মুখখন আৰু গম্ভীৰ হৈছিল সন্ধ্যাৰ। হঠাৎ কোনেও কল্পনা কৰিব নোৱাৰা কামটো কৰি পেলালে তাই। কৌশিকৰ বেগটো লৈ শেষৰ বেঞ্চলৈ দলিয়াই দিলে,

"কথা এবাৰ ক'লে বুজি নোপোৱা নেকি? Go and seat in the last bench" চিঞৰিয়ে কৈছিল তাই।

সন্ধ্যাৰ এই নতুন ৰূপত অকল কৌশিক, অভিমন্যুয়েই নহয় গোটেই ক্লাছটো যেন হতভম্ব হৈছিল। কালিলৈকে কান্দি কান্দি ক্লাছ নকৰি গুছি যোৱা ছোৱালীজনীৰ আজি

Kaushik

এইটো ৰূপ। সন্ধ্যাৰ কথা কোৱাৰ সুৰ আৰু গম্ভীৰ মুখ দেখি কৌশিকৰো দুনাই সাহ নহ'ল। সেমেনা সেমেনিকৈ সি উঠি গ'ল।

"এহ হ'ল আৰু, এতিয়া বয় ফ্ৰেণ্ড গাৰ্ল ফ্ৰেণ্ডৰ কাজিয়াও চাব লাগিব ক্লাছত।" পিছ ফালৰ শাৰীত বহি থকা সুনীতাই ফুচফুচাই কৈছিল যদিও স্পষ্টকৈ সোমালহি সন্ধ্যাৰ কাণত। কালি সুনীতাৰ সেই অপমান পাহৰি যোৱা নাছিল সন্ধ্যাই। লগে লগেই তাইৰ ফালে ঘূৰিলে সন্ধ্যা,

"কিবা কৈছিলা, সুনীতা?"

আকৌ সকলো আচৰিত। কি হৈছে আজি সন্ধ্যাৰ। কাকো এৰি দিয়া নাই যে।

"মই? এই নাই নাই সন্ধ্যা। একো কোৱা নাই। এনেই হে।" সন্ধ্যাৰ নতুন ৰূপত সুনীতাৰ চোকা মুখখনো যেন ৰৈ গ'ল।

"কিবা ক'লে সমুখত ক'বাহি। পিছফালে ফপৰা কুকুৰেহে ভোকে।" কথাষাৰ বহিল সন্ধ্যা।

গোটেই ক্লাছটোৱে আচৰিত বস্তু চোৱাৰ দৰে চাইছিল তাইলৈ। যেন এইয়া সন্ধ্যা নহয় তাইৰ কোনোবা যমজ ভগ্নীহে। কি মুখ, যেন মুখ নহয় চোকা কটাৰীহে। এফালৰ পৰা ঢাঁহি মুহি নিছে চবকে। সদায় মনে মনে শুনি থকা মানুহৰ প্ৰতি আন মানুহবোৰে এনে এটা ধাৰণাই লয়। কিন্তু তেওঁলোকে এইটো নাজানে, যে যি শুনিব পাৰে তেওঁ শুনাবও পাৰে। অভিমন্যু আৰু অনুৰণো দুৱাৰ মুখতেই উঁৰক লাগি ৰৈছিল। সন্ধ্যা বহাত মুখেৰে একো নমতাকৈ অভিমন্যু আহি বহিলহি সন্ধ্যাৰ কাষত। ছাৰো আহি সোমাল কিছু সময়ৰ পাছত। পঢ়াবলৈ ল'লে English Literature ৰ Sonnet ৰ কথা।

"যা দেৱী সৰ্বভূতেষু শক্তিৰূপেইন সংস্থিতা..." মুখেৰে বিৰবিৰাই থকা অভিমন্যুক দেখি বুজিবলৈ বাকী নাথাকিল সন্ধ্যাৰ কালৈ এইষাৰ দিছে।

"ঐ, মনে মনে থাকিবিনে তই?" ছাৰে নুশুনাকৈ ফুচফুচাই ক'লে সন্ধ্যাই।

"দূৰ্গা পূজা পাইছেহি যে, so.."

kaushik

"এক্কে পাত চৰে পূজা বাহিৰ হ'ব তোৰ" অভিমন্যুক শেষ কৰিবলৈ নিদি দবিয়াই উঠিল সন্ধ্যা। হাঁহি উঠাৰ লগতে মনটো ভাল লাগিছিল অভিমন্যুৰ। তাই যে নিজকে সিমান খিনি শক্তি দিব পাৰিলে।

লাহে লাহে ক্লাছবোৰ শেষ হ'ল। গোটেই দিনটো শেষ বেঞ্চৰ পৰা এক মিনিটৰ বাবেও উঠি অহা নাই কৌশিক। দিনটোৰ আৰম্ভণিতে পোৱা অপমানত লাভাৰ দৰে জ্বলি আছে সি। এৰাতিৰ ভিতৰতে ইমান সাহস ক'ৰ পৰা পালে সন্ধ্যাই সি ভাবি পাৰ পোৱা নাই। নাই, নাই এইক ইমান আগবাঢ়িবলৈ দিব নোৱাৰি। সকলোৰে আগত তাইক এইবাৰ এনেকুৱা শিক্ষা দিব সি যে তাই আৰু চকু তুলি কথা ক'ব নোৱাৰিব। আৰু বেছি কৰিলে ফটোখনতো আছেই। পিছে সেইখন দেখিয়েই ধৰিব পাৰি editted বুলি। কিবা লাভ হ'ব জানো। এহ্ হৈ যাব। সন্ধ্যাক কন্ত্ৰলত আনিবলৈ সেইখনেই যথেষ্ট। এতিয়া মুঠতে অথনিৰ অপমানৰ প্ৰতিশোধ ল'বই সি। খঙত মানুহে সদায় ভুল সিদ্ধান্তয়েই লয়, কৌশিকৰ ক্ষেত্ৰতো সেয়াই হ'ল। শেষৰ ক্লাছত ছাৰ ওলোৱাৰ পাছতে সন্ধ্যাৰ কাষ পালেগৈ কৌশিক। সকলোৱে দেখাকৈ অভিমন্যুৰ আগতে সন্ধ্যাক কঁকালত ধৰি টানি আনিলে সি,

"By the way guys, তোমালোকেতো জানায়েই সন্ধ্যা আৰু মই open relation ত আছোঁ, so ek party toh banta....." কৈ শেষ নহ'লেই কৌশিকৰ।

ঠাঁচ !!!!!

চৰ !! কথা শেষ নহওঁতেই এটা প্ৰচণ্ড কাণতলীয়া চৰ পৰিলহি কৌশিকৰ গালত। ক্লাছৰ চব যেন আশ্চৰ্যত শিল হৈ গৈছিল। কাৰণ চৰটো আন কোনোৱে নহয়, মাৰিছিল স্বয়ং সন্ধ্যাই। ক্লাছৰ সকলো যেন এক মূহুৰ্তৰ বাবে শিল হৈ গৈছিল। ৰাতিপুৱা কথাৰে গালি দিয়া, দম দিয়ালৈকেও যেন তেন। কিন্তু চৰ? তাকো কৌশিকক? ইফালে এনে এটা পৰিস্থিতিৰ বাবে মুঠেও সাজু নাছিল কৌশিক। সন্ধ্যাই গাৰ জোৰেৰে মাৰা চৰটোৰ কোব সহিব নোৱাৰি কাষৰ বেঞ্চখনত কৰ্ফাল খাই পৰিল সি। খঙত কঁপি আছিল সন্ধ্যা। কঁপি কঁপিয়েই চিঞৰি উঠিল তাই,

"Relation? কিহৰ relation? জোৰ জবৰদস্তিকৈ মানুহক humiliate কৰি কি relation বনাই? আজি তই ক চবৰে আগত, এইকেইদিনৰ গোটেই নাটক তোৰ মুখেৰে শুনক চবেই। ক"

Kaushik

কৌশিকক shirtত ধৰি টানি উঠাই দিলে সন্ধ্যাই। চিনেমা চোৱাৰ দৰে আচম্বিত হৈ চাই আছিল ক্লাছৰ চবেই।

"কি ক'বলে আছে, চবেই যি দেখিছে সেয়াই আৰু।" কোনোমতে কথাকেইটা কৈছিল কৌশিকে। কিন্তু সন্ধ্যা যেন আজি সঁচাকৈ দূৰ্গাৰ ৰূপতে আছিল। আকৌ এটা চৰ পৰিল কৌশিকৰ গালত। ঠাঁচ.....

"সঁচা কথা ক কৌশিক।" সন্ধ্যাৰ চকুত যেন জুই। তীক্ষ্ণ চাঁৱনি আৰু মাতত থকা আত্মবিশ্বাসৰ ওচৰত আৰু মিছাৰে নিজক সামৰিব নোৱাৰিলে কৌশিকে।

"আচলতে, মানে আচলতে সন্ধ্যাৰ একো দোষ নাই, সিদিনা অগ্নিগড়ত মইহে তাইক জোৰকৈ......" এইবুলি গোটেই ঘটনাৰ বিৱৰণ দিলে সি। যেন সোনকালে কথাখিনি কৈ পলাব খুজিছে সি। ক্লাছৰ সকলো বাকৰূদ্ধ। ছিহ্, মানুহ ইমান তললৈ যাব পাৰেনে। এনে এটা ভাবেই আহিছিল সকলোৰে মনত। কথা শেষ কৰি কৌশিক ওলাবলৈ লওঁতেই সন্ধ্যাই আকৌ ৰখালে,

"ৰ, এতিয়াও শেষ হোৱা নাই। কালি মোৰ বেগত ছিগাৰেট ক'ৰ পৰা সোমাল সেইটো কোনে ক'ব?" প্ৰতিটো কথাৰ হিচাপ ল'বলৈ সন্ধ্যা যেন বদ্ধ পৰিকৰ।

"নাই নাই, মই সেইবোৰ একো নাজানো, কি প্ৰমাণ আছে যে মই কৰিছোঁ সেয়া" নিজক বচাবলৈ শেষ প্ৰয়াস কৌশিকৰ। এইবাৰ সন্ধ্যাইও ভাবি নাপালে কি ক'ব। সঁচাকৈ তাইৰতো একো প্ৰমাণ নাই তাৰ বিপক্ষে। তেনেকুৱাতে অভিমন্যু আগুৱাই আহি মাত দিলে,

"হয় নেকি কৌশিক, তেন্তে এই videoটো চাচোন, কিবা কিজানি মনত পৰেই তোৰ" এইবুলি মোবাইলটো সকলোৰে দেখাকৈ দাঙি ধৰিলে সি। সকলো ওচৰ চাপি আহিল। কৌশিকে flakeৰ পেকেটটো সন্ধ্যাৰ বেগৰ কাষৰ পকেটটোত ভৰাই দিয়া স্পষ্টকৈ প্ৰকাশ পাইছে। এইবাৰ খঙত ফাটি উঠিল প্ৰিয়া। নিজক ৰখাব নোৱাৰি আগবাঢ়ি আহি কৌশিকক আকৌ এটা চৰ শোধালে তাই,

"তোৰ ইমান সাহস হ'ল কেনেকৈ হা? ভাব কি তহঁতবোৰে নিজক?"

"কি কৈছিলি তই সন্ধ্যাক? তাইৰ ফটো তই দেউতাকৰ নম্বৰত পঠাবি? ঠিক আছে, পঠা। মই এইটো ভিডিঅ' ফেচবুকত তোৰ ৱালত আপলোড কৰিম। চাওঁ কাৰটো

Kaushik

বেছি ভাইৰেল হয়।" অভিমন্যুয়ে খঙত দাঁত কৰচি কৈছিল। সন্ধ্যাই চাই ৰৈছিল তালৈ।

অভিমন্যুৰ কথা শেষ হোৱাৰ লগে লগে খৰ খোজেৰে ক্লাছৰ পৰা ওলাল কৌশিক। ওলাল মানে পলাইছিল সি। অভিমন্যুৰ এই কামত আচৰিত হৈছিল সন্ধ্যা নিজেও। তাই কেতিয়াও ভবা নাছিল যে সি মোবাইলত এইবোৰ ৰেকৰ্ড কৰি থ'ব। কৌশিক ওলাই যোৱাৰ লগে লগেই ক্লাছৰ ছোৱালীবোৰে বেৰি ধৰিলে সন্ধ্যাক।

"মই জানিছিলো সন্ধ্যা কেতিয়াও তেনেকুৱা ছোৱালী নহয়" প্ৰথমতেই পৰীয়ে সাৱটি ধৰি ক'লে।

"আমাক ক্ষমা কৰি দিবি সন্ধ্যা, ভুল বুজিছিলো তোক" জুৰিৰ চকুপানী বিৰিঙি উঠিল। সঁচাকৈ, কিয় যে সিহঁতে তাইক বুজিব পৰা নাছিল। লাহে লাহে সকলো ক্লাছৰ পৰা ওলাল। শেষত সন্ধ্যা অভিমন্যু আৰু অনুৰণহে ৰ'লগৈ। সন্ধ্যা আহি অভিমন্যুৰ কাষ পালেহি,

"যদি তই ভিডিঅ' কৰিছিলিয়েই তেন্তে কালিৰ পৰা একো কোৱা নাছিলি কিয়?"

"কাৰণ মই বিচাৰিছিলোঁ, তই নিজে stand লোৱাটো, তই strong হোৱাটো। এতিয়াৰ পৰা চাবি কোনেও তোলৈ ইমান সাহ নকৰে। মইতো আছোৱেই সদায় কিন্তু নিজৰ কাৰণে নিজেই মাত মাতিব লাগিব তই।" অভিমন্যুৰ কথাত আৱেগিক হৈ উঠিছিল সন্ধ্যা। ইমান সময় যুঁজি জোৰকৈ সামৰি ৰখা আৱেগখিনি যেন পাৰ ভাঙি আহিছিল। কান্দোন খিনিক ৰখাব নোৱাৰিলে তাই। অভিমন্যুয়ে আলফুলে সাৱটি লৈছিল তাইক। তাইও উচুপি উঠিছিল তাৰ বুকুত। যেন পৃথিৱীৰ আটাইতকৈ নিৰাপদ ঠাইখিনিত আছে তাই।

"কান্দিছ কেলে পাগলী, এনেকুৱাই life। এতিয়াতো চব ঠিক হ'ল। নাকান্দিবি আৰু।" তাইৰ চকুপানী মচি দিলে সি। এটা দীঘল উশাহ ল'লে সন্ধ্যাই।

"এতিয়া যা, এনেকে চিপকি থাকিলে মোলে বেলেগ ছোৱালীয়ে নোচোৱা হ'ব।" অভিমন্যুৰ কথাত হাঁহি বিৰিঙি উঠিল তাইৰ। বেগটো লৈ ক্লাছৰ পৰা ওলাল সন্ধ্যা।

অথনিৰে পৰা কিছু দূৰত ৰৈ সন্ধ্যা আৰু অভিমন্যুক একেথিৰে চাই থকা অনুৰণে মিচিকিয়াই উঠিল। অভিমন্যুয়েও তালৈ চালে। ক্লাছটোত অকল সিহঁত দুটাই আছিল গৈ। অনুৰণৰ কাষলৈ গৈ অভিমন্যুয়ে মোবাইলটো আগবঢ়াই দি ক'লে,

Kaushik

"Thanks a lot অনুৰণ। তুমি এই ভিডিঅ' টো নকৰা হ'লে আজি কৌশিক ধৰা নপৰিলে হয়। কিন্তু তুমি ভিডিঅ' কৰিলা কিয়? মানে idea টো আহিল কেনেকৈ?"

"সেইদিনা কৌশিক সন্ধ্যাৰ লগত বহোঁতেই মই গম পাইছিলোঁ যে তাৰ মতলব ভাল নহয়। সেইকাৰণে মই সিহঁতৰ ঠিক পিছৰ বেঞ্চত বহিছিলোঁ। আৰু বাৰে বাৰে সন্ধ্যা আঁতৰি অহাৰ পাছতো জোৰকৈ কৌশিক কাষলৈ অহা দেখিয়েই মই ভিডিঅ' অন কৰিছিলোঁ।" শান্ত হৈ কৈ গৈছে অনুৰণে,

"আৰু এটা কথাটো ছিঅ'ৰ আছিলো যে কৌশিকে কিবা ব্লেকমেইলিঙৰ দৰেই কৰিছে সন্ধ্যাৰ লগত। নহ'লে তাৰ একো কথাত তাই প্ৰতিবাদ নকৰিব কিয়? গতিকে সেইটোক চেলেঞ্জ দিব পৰাকৈ আমাকো কিবা এটা লাগিব। আমাৰ লাক ভাল, তাৰ চাঞ্চ কৌশিকে নিজেই দিলে।"

"তুমি জিনিয়াছ বে। salute to u" ফুৰ্তিতে তাক গবা মাৰি ধৰি ক'লে অভিমন্যুয়ে। সঁচাকৈ, এইবোৰ কথাতো তাৰ নিজৰ মাথাটো অহা নাছিল। অনুৰণৰ বাবেই আজি বদনাম হোৱাৰ পৰা বাছিল সন্ধ্যা। কাৰণ সকলোৱে যিমানেই নকওঁক, এজনী ছোৱালীৰ এখন ফটো, লাগিলে edit কৰাই হওঁক ভাইৰেল হ'লে তাৰ ঋণাত্মক প্ৰভাৱ এটা ছোৱালীজনীৰ জীৱনত পৰেই। তাৰ ভাল লাগিল যে কৌশিকে এতিয়া আৰু সেইবোৰ কৰাৰ সাহস নকৰে।

"অভিমন্যু, just এটা request কৰোঁ, প্লিজ কাকো নক'বা যে ভিডিঅ' টো মই কৰিছোঁ, সন্ধ্যাকো নক'বা।" অনুৰণে কাতৰ সুৰেৰে ক'লে।

"কেলে বে, তুমি ইমানখিনি কৰিছা তাইৰ কাৰণে তাই ভাল হে পাব গম পালে।" অভিমন্যু অলপ আচৰিত হ'ল।

"নাই নালাগে, তাই তুমি help কৰিছা বুলিয়েই জানি থাকক।" অনুৰণ যেন কিছু চঞ্চল হৈছিল।

"কিন্তু কিয় অনুৰণ?" কৌতূহল দমাব নোৱাৰি অভিমন্যুৱে সুধিয়েই পেলালে। অনুৰণ সাংঘাতিক ভাৱে লাজকুৰীয়া, সেয়া অভিমন্যুৱে জানে। সি কাৰো আগত নিজৰ আৱেগ, অনুভৱখিনি প্ৰকাশ নকৰে। হয়তো কৰিব নাজানে। হয়তো কৰিবই নোখোজে। কিন্তু এইকথাটোও কিয় লুকুৱাব খুজিছে সকলোৰে পৰা? আনকি সন্ধ্যাৰ পৰাও? সকলোৰে লগতে সন্ধ্যাইও ভাবি আছে যে ভিডিঅ'টো অভিমন্যুৱে কৰিছে। সি

Kaushik

অনুৰণৰ কথা কেতিয়াও নেপেলায়। কিন্তু তাৰ এই সংকোচৰ আঁৰৰ কাৰণ ভাবি নাপালে। অভিমন্যুৰ প্ৰশ্নৰ উত্তৰত মাত্ৰ এটি নীৰৱ হাঁহিৰে ক্লাছটোৰ পৰা ওলাই গ'ল অনুৰণ। অনুৰণে নজনাকৈয়ে হয়তো এটা ভুল কৰি পেলালে তাতেই। বুজো নুবুজোকৈ সি ওলাই যোৱাৰ ফালে চাই থাকিল অভিমন্যুয়ে। আকাশখন কিছু ডাঁৱৰীয়া আজিও। ডাৱৰৰ আঁৰত তেতিয়াও লুকা ভাকু খেলি আছিল বেলিটোৱে।

(আগলৈ)

#নিৰিবিলি

Part 25

সময়ৰ আটাইতকৈ ভাল গুণ এইটোৱেই যে সি যেনেকুৱাই নহওঁক কিয় পাৰ হৈ যাবই। কেতিয়াবা হ'ব পাৰে বিষাদৰ কাৰণ, কেতিয়াবা আকৌ নিজেই নিজৰ মলম। সন্ধ্যাৰো বেয়া সময়খিনি পাৰ হৈছিল। যেন বহু দিন এন্ধাৰৰ পাছত আকৌ পোহৰ নামিছিল সন্ধ্যাৰ মনলৈ। ৰুম আহি পাইয়েই দেউতাকলৈ ফোন কৰিলে তাই। সকলোখিনি বিৰৰি কোৱাৰ পাছত দেউতাকে কৈছিল,

"ৱাহ্, আমাৰ মাইনাজনী ডাঙৰেই হ'ল চোন। কিন্তু ৰুণ, এতিয়া অলপ সাৱধানে থাকিবা। কৌশিকৰ নিচিনা ল'ৰাক বিশ্বাস কৰিব নোৱাৰি।"

"হ'ব দেউতা" বুলি ফোনটো থ'লে তাই। এটা ফৰকাল মন লৈ বিচনাত পৰিল। সঁচাই, সকলোৰে দেউতাকবোৰ তাইৰ দৰে হোৱা হ'লে প্ৰায়বোৰ ছোৱালীয়েই ভয় ভয়কৈ জীৱনটোত আগবাঢ়িব নালাগিলহেঁতেন। দুপৰীয়া ভাতকেইটা খাই ক্লাছ নাথাকিলে অকণমান শুৱেই তাই।

সন্ধিয়া প্ৰিয়াৰ লগত ওলাই গ'ল অলপ। লগত নিমিষা আৰু জুৰিও। ভাবীৰ দোকানত গৈ চাহ একাপ খালে। সন্ধিয়া সময়খিনিত যে ভাবীৰ দোকান একেবাৰে বিয়া ঘৰৰ দৰে হৈ থাকে। কোনোবা আহিছে, কোনোবা গৈছে, কোনোবাই তাতেই দিনটোৰ কথাৰ মহলা মাৰিছে, কোনোবাই আকৌ তাতে বহি কাৰোবাক উকিয়াইছে। মুঠতে এক বেলেগ প্ৰাণ আছে ভাবী দোকানত। তাৰ পৰা ওলাই প্ৰিয়া, নিমিষা আৰু জুৰি ওলাল ATMৰ পৰা পইছা উলিয়াবলৈ। গেটৰ ওচৰতে ATMটো। ভাবী দোকানৰ কাষৰ

Kaushik

লুংলুঙীয়া ৰাস্তাটোৰে গ'লেই ATMৰ মুখত ওলাইগৈ। নিমিষাহঁতক পইছা লৈ আহি মাতিবলে কৈ সন্ধ্যা এবাৰ মহামায়াত সোমাল। দোকানখনৰ সোঁফালে জ্বলাই থোৱা ধূপডালে সময়খিনি বৰ মনোৰম কৰি তুলিছিল। চন্দ্ৰালী বা ৰৈ আছিল তাতেই।

"সন্ধ্যা, দেখাই নোপোৱা হ'লো চোন। খুব বিজি দেই।" তাই সোমাই যাওঁতে চন্দ্ৰালীয়ে ক'লে।

"নাই বা, আছোঁৱেই।" চন্দ্ৰালীক উত্তৰটো দি বকুল দাক মাতিলে তাই,

"কি খবৰ বকুল দা? মানুহটো দিনে দিনে ডেকা হৈ গৈ আছে দেই।" বকুল দাক জোকাই লৈ বৰ ভাল লাগে। মানুহটোৱে যিদৰে ভেকাহি মাৰি উত্তৰটো দিয়ে সেইটো শুনিবলৈকে জোকাই লয় সন্ধ্যাহঁতে। পিছে সন্ধ্যাক ভেকাহি মাৰি নাহিল বকুল দাই,

"এহ্, তহঁতৰ নিচিনা ধুনীয়া ছোৱালীবোৰ দেখি থাকিলে ক'ত বুঢ়া হ'ম আৰু?"

"এহ্ থাকবা দি, বুঢ়া হৈছি হাই আপনি, ইতা ডেকা তেজ দেখাবা নালগে থৌগা আপী দেখি" বকুল দাৰ কথা শেষ হওঁতেই ভোৰভোৰাই মহামায়ালৈ গপগপাই সোমাই আহিল ছোৱালী এজনী।

"ইহ্, আহিল আমাৰ দন্দুৰী জনী। এইজনীয়েহে মোক বুঢ়া দেখে অকল।" গকুল দাই চিনাকি সুৰটোৰে দি আকৌ ভেকাহি মাৰিলে।

"হাও, বুঢ়াক বুঢ়া বুলি নকে কি কবা লাগে হা? আৰু এনকে আপীৰ লগত চেনি মাৰি থাকলি চেংৰা হয় নাযই বুজচা না।" ছোৱালীজনীৰো সমানে উত্তৰ। কথাৰ পৰাই যে তাই নামনিৰ গম পোৱা গৈছে। বকুল দাৰ মৰমৰ বাবেই বহু শিক্ষাৰ্থী তেওঁৰ লগত ঘৰৰ মানুহৰ দৰে হৈ পৰে। এই ছোৱালী জনীও তাৰ মাজৰেই।

"হেই হিমাদ্ৰী, কি খবৰ?" চন্দ্ৰালীয়ে চিনি পাই তাইক।

"অহ্, চন্দ্ৰা। ভালেই। তোমাৰ কোৱাচোন। লগেই পোৱা নাই বহুত দিন।" লগালগ উজনিৰ সুৰ। আচৰিত হৈছিল সন্ধ্যা। কিদৰে দুইটা শৈলীয়েই ইমান সাৱলীল ভাৱে ক'ব পাৰে। চন্দ্ৰালীয়ে সন্ধ্যাক চিনাকি কৰাই দিছিল,

"তোমালোকৰ ক্লাছৰ বিদিশাৰ ৰুমমেট, সন্ধ্যা।"

সন্ধ্যাই নমস্কাৰ দিলে।

Kaushik

"অঁ, তুমিয়ে সন্ধ্যা হয় না, শুনছো বিদিশাৰ ৰুমমেট বলে মস্ত থৌগা।" আকৌ নামনিৰ থাঁচ। তাইৰ গাল খন চিকুটি ক'লে বাজনীয়ে। গোল মুখৰ চাপৰকৈ বাজনীক প্ৰথম লগ পাইয়েই নিজৰ নিচিনা লাগিল সন্ধ্যাৰ।

"এই বকুল দাক বেছি পাত্তা নিদিবা বুইছা সন্ধ্যা। বৰ সাংঘাতিক মানুহ।" চাঞ্চ পালেই বকুল দাক খোঁচ মাৰিবলৈ নেৰে হিমাদ্ৰীয়ে।

"এইজনী, মুখেশ্বৰী জনী। দিওঁ নেকি খুন্দা এটা।" আকৌ বকুল দাৰ গালি। সিহঁত গোটেইকেইজনীৰ হাঁহিত জীপাল হৈছিল সন্ধিয়াটো। যেন দিনটোৰ অন্তত ঘৰৰ মানুহবোৰে লগ হৈ ধেমালিহে কৰিছে। এই অনুভৱবোৰ ভাল লগা হৈছে সন্ধ্যাৰ। ইউনিভাৰ্চিটীৰ মাজতে গঢ় লৈছে কণমাণি পৃথিৱীখনে। এই আপোন মানুহবোৰৰ মাজত বিৰক্তিকৰ সময়বোৰো হৈ পৰে নষ্টালজিয়াৰ সম্ভাৱনাপূৰ্ণ গল্প।

"হ'ব যাওঁক, চাহ খোৱাওক।" হিমাদ্ৰীৰ কথাত ওচৰৰ ভাবীৰ দোকানৰ পৰা তিনি কাপ চাহ লৈ আহিল বকুল দাই। মানুহজনে যিমান ধেমালি কৰিলেও সাংঘাতিক মৰমিয়াল। নিজৰ বুলি ভাবে কাৰণেই সেইদৰে ধেমালি কৰে। হিমাদ্ৰী তেওঁৰ নিজৰ ভনীৰ দৰে। ইউনিভাৰ্চিটীৰ বেছি সন্ধিয়া তাই হেনো মহামায়াতেই পাৰ কৰিলে। চাহ খাই খাই কৈছিল তাই। সঁচাকৈ, মানুহ আহি থাকিব গৈ থাকিব। ৰৈ যাব এই বকুল দাহঁতৰ দৰে আপোন মানুহবোৰৰ মৰমবোৰ, মহামায়া, এমিনিটীৰ আড্ডাময় সন্ধিয়াবোৰ। কাইলৈ হয়তো হিমাদ্ৰী সন্ধ্যাহঁতো যাবগৈ। আকৌ নতুন কোনোবাই ভৰাই দিবহি মহামায়াৰ আড্ডা। এনেতে জুৰিহঁত আহি পোৱাত সন্ধ্যা যাবলৈ ওলাল।

"আকৌ আহিবা দেই" বুলি দিগন্ত দাই মাত লগালে। হিমাদ্ৰী আৰু চন্দ্ৰালীক যাওঁ বুলি কৈ ওলাই আহিল সন্ধ্যা। আপোন মানুহবোৰৰ লগত সঁচাই সময়ৰ হিচাপ গমেই পোৱা নাযায়।

সিহঁত বয়জ হোষ্টেলৰ আগেৰে আহিছিল। কাঞ্চনজংঘাৰ ওচৰ পাইছিলহি। তেনেতে জুৰিয়ে ক'লে,

"সৌটো ময়ূঁৰ নহয় নে?"

হয়, পুলটোত ফিল্ডৰ ফালে মুখ কৰি বহি আছে ময়ূঁৰ। অকলে। কাণত হেডফোন ডাল। একেথিৰে চাই আছে ফিল্ডলৈ। কি ভাবি থাকে এই ল'ৰাটোৱে ইমান।

Kaushik

"ঐ, ময়ূঁৰ..." জুৰিয়ে চিঞৰিছিল। তাৰ সাৰসুৰ নাই। হেডফোন লগাই থোৱাৰ বাবেই চাগে। সন্ধ্যাহঁত আগুৱাই গৈ হেডফোন ডাল টানি দিলে। সি চঁক খাই উঠিল।

"বাপ ৰে, অথনিৰে পৰা মাতিছোঁ গমেই নাপাই ল'ৰাই। চাওঁ কি শুনি আছা" বুলি হেডফোন ডাল কাণত লগালে সন্ধ্যাই।

"বেদনা বেদনা মোৰ ভালপোৱা,

তোমাক হেৰুৱাই পাথৰ হিয়া

মন যায়

মন যায়

মন যায়

দাৰা ৰিৰি ৰি ৰি...."

"ৱাহ্, মন যায় শুনি শুনি পূৰা ক'বয়ে নোৱাৰে ল'ৰাই। কিবা ট্ৰেজেদী চলি আছে নেকি হা?" সন্ধ্যাই হাঁহি হাঁহি সুধিলে। উত্তৰত ময়ূঁৰেও হাঁহিলে মাত্ৰ।

"এনেকে অকলে অকলে যে?" এইবাৰ প্ৰিয়াই সুধিলে।

"নাই, এই ৰাধাও আছিল।" সি ক'লে।

"ৰাধা? কোন ৰাধা?"

"তোমাৰ গাৰ্ল ফ্ৰেণ্ড?"

"ৱাহ্, ল'ৰাই আমাক কোৱাই নাই।"

একেলগেই জুৰিহঁতৰ প্ৰশ্ন। ময়ূঁৰে একো নকৈ মাত্ৰ হাঁহিলে। সন্ধ্যাই ইচ্ছা কৰিয়েই নুসুধিলে। এই ৰাধা কোন হয়, তাই নাজানে। কিন্তু ময়ূঁৰে যে তাইৰ কথা ক'ব নোখোজে তাই বুজি পায়। সিদিনা লাইব্ৰেৰীতো সি একো কোৱা নাছিল তাই সোধোতে। অলপ সময় ময়ূঁৰৰ লগত কথা পাতি আঁতৰি আহিল সিহঁত। ময়ূঁৰ বহি ৰ'ল তাতেই। সন্ধ্যাই এবাৰ ঘূৰি চালে। আকৌ হেডফোন ডাল লগালে সি। এইবাৰ হয়তো বাজিব,

"সুখী হৈয়ে ৰোৱা মই অবিহনে....."

Kaushik

সাঁথৰ সাঁথৰ যেন লাগে এই ময়ূঁৰ ল'ৰাটোক। সন্ধ্যাহঁত আঁতৰি যোৱাৰ কিছু সময়ৰ পাছত আকৌ কোনোবা যেন বহিলহি ময়ূঁৰৰ কাষত। হাতখন তাৰ হাতৰ ওপৰত থ'লে। তাৰ কান্ধত তাইৰ মূৰটো। চকু মুদিয়েই সি উচ্চাৰণ কৰিলে,

"ৰাধা...."

নিমিষাহঁত বাহিৰেই সন্ধ্যাৰ ৰুমলৈ গ'ল। ইন টাইম ৯.৩০ হে। সময় আছে বহুত। ৰুমত বিদিশাৰ লগতে ৰীণাও আছিল। সোমায়েই প্ৰিয়াই আৰম্ভ কৰিলে,

"বিদিশা বা, আজি কি হ'ল জানা নে নাই" এইবুলি গোটেই কাহিনীটো ক'লে তাই।

"এইচ্, বঢ়িয়া। এইয়াহে সোৱণশিৰীৰ তেজ। well done সন্ধ্যা।" ৰীণাই উঠি আহি সন্ধ্যাক সাৱটি ধৰি ক'লে।

"লাষ্টত যে অকল ঠাচ ঠাচ শব্দহে শুনিছোঁ আৰু বুইছা বা।" প্ৰিয়াৰ কথাটো শেষ হওঁতেই হাঁহিৰে গমগমাই উঠিল বিদিশা আৰু সন্ধ্যাহঁতৰ কোঠাটো। ওচৰতে থকা নিমিষাইও মাত লগালে,

"সঁচাকৈ পাই, মানুহ যে ইমান লেতেৰা মনৰ হ'ব পাৰে আৰু দেই।"

"ছেহঃ কুকুৰটোক মইহে এচৰো দিব নোৱাৰিলোঁ। দুখ এটা থাকি গ'ল বুইছ সন্ধ্যা।" জুৰিৰ কথাত আকৌ হাঁহিৰ ৰোল।

সঁচাকৈ আজি কিমান দিনৰ মূৰত যে খোলাকৈ হাঁহিছে সিহঁতবোৰে। এই কেইদিন হাঁহাতো বাদেই কাৰো মুখলৈও চাব পৰা নাছিল সন্ধ্যাই।

"বাৰু তহঁত থাক। মই যাওঁ দেই। আমাৰ মইনা মইনীহঁত অহাৰ সময় হৈছে।" ৰীণা বা ওলাই গ'ল।

নিমিষাহঁতে নুবুজিলেও সন্ধ্যা, বিদিশা আৰু প্ৰিয়াই ঠিক বুজিলে। নিৰিবিলিৰ পৰা উভতি অহা যোৰা কেইটাক খিৰিকীৰ মুখৰ পৰা জোকাবগৈ এতিয়া সিহঁতকেইজনীয়ে। কতবাৰ কৈ কৈও সিহঁতক ঠিক কৰিব নোৱাৰিলে কোনেও। কিছু সময় আড্ডা মাৰি নিমিষা আৰু জুৰিও গ'ল নিজৰ হোষ্টেললৈ।

Kaushik

পিছে আনন্দৰ বন্যা অকল সোৱণশিৰিতেই নহয় ল'ৰা হোষ্টেল পাটকাইতো বৈছিল। ভাত খাই এপাক ওলাই গৈছিল গোটেইকেইটা। মানে অভিমন্যু, অনুৰণ আৰু বিশ্বজিত। নীলাচলৰ পৰা আৰিফ আৰু নেকিবুৰো আহিল। ৰাতিৰ ইউনিভাৰ্চিটী খনে এটা বেলেগ ৰূপ ধৰে। হালধীয়া লাইটৰ পোহৰত ৰাস্তাবোৰে যেন দিনটোৰ গল্পবোৰ আওৰাই। চাৰিওফালে নিজান। মাজে মাজে দুই এটা হোষ্টেলৰ পৰা অহা চিঞৰ। কেতিয়াবা বাঁহী অথবা গীটাৰৰ সুৰ। জি জি কৈ থকা জিলিবোৰেও সানে অন্য মাদকতা। উকা হৈ পৰা পথবোৰে লাইটৰ পোহৰত হালধীয়া হৈ কত যে কাহিনী বুকুত লৈ ৰাখে। গোটেইকেইটা এপাক ঘূৰি আহি অভিমন্যুৰ ৰুম পালেহি। আৰিফ আৰু ৰাজদ্বীপ ৰুম যাওঁ কৈছিল যদিও অনুৰণহঁতে জোৰ কৰি লৈ আহিল। অভিমন্যুৰ ৰুমত গোটেইকেইটা লগ হৈ আজিৰ ঘটনা টোৰ কথাই পাতি আছিল। স্বভাবসুলভ ভঙ্গীমাৰে বিশ্বজিতেই প্ৰথমে ক'লে,

"বাপ ৰে, সন্ধ্যা কিন্তু কম নহয় দেই। কৌশিকৰ নিচিনা ল'ৰাক চৰিয়াই পেলাই দিছে ধেমালি নেকি?"

"অলপ আঁতৰি থাকিবা, নহ'লে তেনেকুৱা এটা চৰ তোমাৰ গাললৈও আহিব পাৰে।" অভিমন্যুৰ কথাত গোটেই কেইটাই হাঁহি উঠিল।

"মোক ঠাট্টা দিবলৈ এৰা অভিমন্যু, এতিয়া সোনকালে সন্ধ্যাক propose কৰিয়েই দিয়া আৰু।" বিশ্বজিতৰ কথাত অনুৰণ কিছু উচপ খাই উঠাটো বাকীকেইটাই ধৰিব নোৱাৰিলে।

"মই সন্ধ্যাক propose কৰিম? পাগল নি বে? মইতো..." অভিমন্যুক শেষ কৰিবলৈ নিদি আৰিফে কৈ উঠিল,

"অ আকৌ, তই নকৰিলে কোনে কৰিব? ইমান মৰম তহঁতৰ"

"তাকেইতো, গম নোপোৱাকে ভিডিঅ' ও কৰি থোৱা" সুযোগ বুজি কথাৰ খোঁচটো মাৰিলে ৰাজেদীপে।

অভিমন্যুয়ে অনুৰণলৈ চালে। তলমূৰকৈ মোবাইল টিপি আছে সি। কিয় লুকুৱালে বাৰু সি এইটো কথা। কি দুৰ্বলতা তাৰ? কিয় মানুহক দেখুৱাব নোখোজে যে সিও সন্ধ্যাৰ বাবে চিন্তা কৰে। তাইক সহায় কৰে।

Kaushik

"ঠিকেই, আৰু সন্ধ্যাৰো তোমালৈ feelings আছে, মই sure, গতিকে time waste নকৰি সোনকালে propose টো মাৰিয়েই দিয়া।" বিশ্বজিতে যেন এইবাৰ courtৰ ৰায় হে দিলে।

"অনুৰণ, তয়ো ক আকৌ" ইমান সময়ৰ পৰা মনে মনে থকা অনুৰণক উদ্দেশ্যি ক'লে আৰিফে।

"অ, তাকেই, মিলিবাও তোমালোক।" কওঁ নকওঁ কৈ অনুৰণে কৈছিল।

"নাই নাই বে। তহঁত চব বলিয়া হৈছ নেকি? সন্ধ্যাক মই তেনেকৈ নাভাবোয়েই।" অভিমন্যুৰ যুক্তি দুৰ্বল কৰি বিশ্বজিতহঁতে চিঞৰি উঠিল,

"নাই নাই, কি আকৌ নাভাবো"

"আবে, ভবা নাই যদি ভাবা আকৌ"

"তাই তোক ভাল পাই বে"

"ভাল লাগে বে তহঁত দুইটাক একেলগে"

শেষত প্ৰায় চিঞৰাৰ দৰেই ক'লে অভিমন্যুয়ে,

"হ'ব হ'ব হ'ব। চাওঁ বাৰু মই।"

"Yaaaaaaay" চিঞৰত ৰুমটো যেন কঁপি উঠিল। কিন্তু তাতকৈও জোৰেৰে কঁপিছিল আন কাৰোবাৰ বুকু।

Kaushik

জুৰি, নিমিষাহত যোৱাৰ পাছত ভাত খাই বহু সময় বিদিশাৰ লগতে কথা পাতি আছিল সন্ধ্যাই। তেজপুৰৰ নিজৰ কিবা কিবি অভিজ্ঞতাৰ কথাও কৈছিল তাই। প্ৰথম প্ৰথম আহি যে কিমান অসুবিধা হৈছিল তাইৰ। লগতে ৰুমমেটৰ লগতো অহি নকুল সম্পৰ্ক। কথাৰ মাজতে বিদিশাই ক'লে,

"তুমি কিন্তু বহুত lucky সন্ধ্যা, অভিমন্যুৰ নিচিনা বন্ধু এজন যে পাইছা, ইমান চিন্তা কৰে সি চোৱা, তোমাৰ লগত নবহিলেও তোমালৈ মন কৰি ভিডিঅ' পৰ্যন্ত কৰি থৈছে। এইয়া অকল বন্ধুত্বত সম্ভৱ নহয় কিন্তু। মোৰ লাগে সি যেন বন্ধুতকৈ বেছি ভাবে তোমাক।"

বিদিশাৰ কথাই ভবাই তুলিলে সন্ধ্যাক। সঁচাকৈ কেৱল তাৰ জৰিয়তে আজি তাই নিজৰ মাজতে এজনী নতুন সন্ধ্যাৰ জন্ম দিব পাৰিছে। তাইৰ ইমান দিনৰ ভয়, মানুহলৈ কথা কোৱাৰ সংশয় সি যে এবাৰতে নোহোৱা কৰি দিলে। আৰু সি কৰা সেই ভিডিঅ'টো। তাইৰ পৰা আঁতৰি থাকিও অভিমন্যুয়ে তাইৰ কথাই চিন্তা কৰি আছিল মানে। গোটেই ক্লাছটোত তাইলৈকে মন কৰি আছিল মানে। এই যে কাৰোবাৰ পৰা আঁতৰি থাকিও সদায় তেওঁৰ লগতেই থাকে সদায়, কি বুলি কয়নো ইয়াক? কথা খিনি ভাবি ভাবি অভিমন্যুলৈ ফোনেই লগালে তাই। কিয় জানো, ৰাতি হৈছিল যদিও তাৰ লগত কথা পাতিবলৈ মন গ'ল তাইৰ।

"ক" ফোনটো ধৰি ক'লে সি।

"কি কৰিছ" সন্ধ্যাই সুধিলে।

"শুব লৈছোঁ, ক"

"কিনো ক ক কৰি আছ,এনেই কৰিছিলোঁ ফোন।"

"শুই থাক। ৰাতিখন কামোৰ নিদিবি।"

এইডাল কেলে এনেকুৱা জানো, খঙত ফোনটো কাটিলে সন্ধ্যাই। তাৰ লগত অলপ কথা পাতিব মন গৈছিল তাইৰ। সেইটোও সি নুবুজে নে। কিয় যে ইমান অঁকৰা এই ল'ৰাটো। খংহে উঠি গ'ল তাইৰ।

"Xula ni" মেচেজ ট'নটো বাজিল। অনুৰণে দিছে।

"Nai, kua" তাই লগে লগেই দিলে।

"Aji pura heroine suun tumi" হাঁহি উঠিল তাইৰ। সমুখত মাত এটা নোলোৱা ই মেচেজত কথা পাতিব ঠিক জানে।

"Moi nohoi, Abhi he hero aji r"

তাই পঠোৱা মেচেজটো seen কৰি কিছু সময় ৰ'ল অনুৰণ। সন্ধ্যা ৰৈ আছিল। লগে লগে reply দিয়া ইয়াৰ আকৌ কি হ'ল। হয়তো নেটৱৰ্ক প্ৰব্লেম চাগে।

"Sandhya," কিছু সময়ৰ পাছত অনুৰণৰ মেচেজ।

"O, kua" তাই দিলে।

Kaushik

আকৌ কিছু সময় একো নাই। কিবা ক'ব নেকি সি? কি বা ক'ব? কাৰোবাৰ এটা মেচেজৰ বাবে বৈ থকাতো এক বেলেগ মাদকতা আছে। কিন্তু তাই ভবাৰ দৰে একো নক'লে সি।

"Eku nai, xui jua" শেষ মেচেজটো দি off line হ'ল অনুৰণ।

সন্ধ্যা অলপ আচৰিত হ'ল। কি হ'ল? আগতেতো ইমান সোনকালে কথা শেষ নকৰে। এহ্, টোপনি ধৰিছে চাগে বুলিও তাইও শুবলৈ ল'লে।

সন্ধ্যাই বুজি নোপোৱাকৈ এটি নীৰৱ কাহিনীৰ আৰম্ভ হৈছিল অজানিতে।

পাটকাইৰ ছাদত কোনোবাই ব্লুটুথ স্পীকাৰত গান লগাই আছিল,

"ক'ব খুজিও মই,

নোৱাৰোঁ ক'ব একো,

ভয় লাগে যদি তুমি আঁতৰি যোৱা..

বুজিও নুবুজানে........."

গানটোৰ লগতেই সৰি পৰিছিল কাৰোবাৰ কেঁচা হুমুনিয়াহ।

(আগলৈ)

#নিৰিবিলি

Part 26

লাহে লাহে পাৰ হৈছিল সময়বোৰ। মাজতে সন্ধ্যা ঘৰলৈ গ'ল দুদিনৰ বাবে। তেজপুৰৰ পৰা বিশ্বনাথ চাৰিআলি ডেৰ ঘন্টাৰ বাট যদিও দেউতাক আহি লৈ গৈছেহি তাইক। শনি আৰু দেওবাৰে ইউনিভাৰ্চিটী বন্ধ থাকে বাবে সেই দুদিন তাই ঘৰত থাকি আহিল। পিছে ঘৰলৈ যাবলৈও কত যে নিয়ম। এডমিশ্যনৰ দিনাই হোষ্টেলৰ পৰা দিয়া লিভ ৰেকৰ্ড ফৰ্মখনত কেইদিনৰ বাবে যাব লিখি লোকেল গাৰ্জেন, ডিপাৰ্টমেন্টৰ HoD, হোষ্টেলৰ ৱাৰ্ডেন সকলোৰে চহী ল'ব লাগে। লোকেল গাৰ্জেন হিচাপে সন্ধ্যাৰ সম্বন্ধীয়

Kaushik

খুৰাক এজনেই আছে ইউনিভাৰ্চিটীতে কৰা। ৱাৰ্ডেন জুপিতৰা মেমৰ পৰাও সহজেই চহীটো আনিছিল বাৰু। মেমে "ঘৰৰ পৰা কিবা লৈ আহিবা দেই" বুলি হাঁহিছিল। ইমান যে মৰমিয়াল তেখেত। সঁচাই, কাৰোবাৰ মুখৰ হাঁহি এটায়েই কাৰোবাৰ দিনটো সুন্দৰ কৰি তুলিবৰ বাবে যথেষ্ট। সন্ধ্যাৰ নিজৰো মুখত হাঁহি এটা অনবৰতে লাগিয়ে থাকে। পিছে ইয়াত আকৌ বেছি ভাগ মানুহেই কিবা চোন গোমোৰা মৰা। তাৰ মাজত জুপিতৰা মেম কিছু পৃথক। ৱাৰ্ডেনৰ চহী লৈ ভয়ে ভয়ে HoDৰ কেবিনত সোমাইছিল তাই। সকলোৰে মুখত শুনিছে HoD মেম হেনো খুব ষ্ট্ৰিক্ট। এনেও EFL টো সকলোতকৈ কাঢ়া ডিপাৰ্টমেণ্ট বুলিয়ে বিখ্যাত। চহীটো কৰি দিছিল যদিও এষাৰ ক'বলৈ নাপাহৰিলে মেমে,

"আহিয়েই ঘৰলৈ যাবৰ হ'লেই নে?"

ভয়ে ভয়ে একো নকৈ ওলাই আহিছিল সন্ধ্যা। সেই জুলাইৰ শেষতেই অহা আৰু এতিয়া এই ছেপ্তেম্বৰ পালেহি। ইমান দিন ঘৰখনৰ পৰা আঁতৰি থকাটো সহজ নেকি কিবা?

Kaushik

ঘৰ গৈ পাইয়েই সন্ধ্যাৰ চকুপানী ওলাইছিল। সঁচাকৈ, পৃথিৱীৰ আটাইতকৈ ধুনীয়া ঠাইবোৰ ঘূৰি আহিলেও ঘৰৰ সমান একোৱেই হ'ব নোৱাৰে। তাইৰ ৰুমটো, বিচনাখন, গাৰুটো, গোহালিৰ দামুৰী পোৱালিটো, আইতাকৰ খুন্দনাটো, নামঘৰৰ দবাৰ শব্দটো, ককাকৰ "মা ঔ" বুলি মতা চিঞৰটো সকলোবোৰ যেন এটা যুগৰ পাছতহে দেখিছে। তাইক দেখিয়েই ওচৰৰ বৰদেউতাকে চিঞৰিছে,

"ৰুণজুন, কেতিয়া আহিলি? এইবাৰ ৰাসত নাচিবিনে?"

তাইও চিঞৰটো মাৰি উত্তৰ দিলে। ৰাস ! বিশ্বনাথ চাৰিআলিৰ কেন্দ্ৰীয় ৰাস। গোটেই শোণিতপুৰৰ ভিতৰত আটাইতকৈ ধুনীয়া ৰাস হয় ইয়াত। আৰু সন্ধ্যা ৰাসৰ অভেদ্য অংগ। কেতিয়াবা যদি মোহিনী, কেতিয়াবা ৰাধা, কেতিয়াবা দৈৱকী আদি। এইবাৰ আকৌ তাইক শ্ৰীকৃষ্ণৰ ভাওটো দিব বুলি গাঁৱৰে বায়ন বৰ্তাই কৈয়ে থৈছে যোৱা বছৰেই। তাইৰ সুন্দৰ লয়লাস নৃত্য গোটেই বিশ্বনাথ চাৰিআলিয়ে শলাগে। ছেপ্তেম্বৰৰ শেষৰ ফালৰ পৰাই ৰাসৰ আখৰা আৰম্ভ হৈয়ে যায়। পিছে, ইউনিভাৰ্চিটীয়ে বা কি বিহু দেখুৱাই? ইমান যে পৰীক্ষা। ক'ত চাগে ৰাস নাচিবহি পাৰিব তাই এইবাৰ?

ঘৰত থকা দুদিন বেছি ভাগ সময় তাইৰ সকলোৰে প্ৰশ্নৰ উত্তৰ দিওঁতেই গ'ল।

"তাত খোৱা বোৱা ভাল দিয়ে নে?"

"ৰুমমেট জনী ভাল নে?"

"ৰেগিং কৰিছেনে?"

"প্ৰফেচৰ বোৰ বেছি খঙাল নেকি?"

"লগৰবোৰ কেনেকুৱা?"

"আমাৰ চাৰিআলিৰ কোনোবা আছে নে?"

ইত্যাদি ইত্যাদি। সকলোৰে কথাৰ অকণো আমনি নোপোৱাকৈ উত্তৰ দি যায় সন্ধ্যাই। তাইৰ ভাল লাগে মানুহবোৰৰ তাইলৈ থকা হেঁপাহকণ দেখি। দুদিনৰ অন্তত আহিবলৈ ওলাওঁতে চকুযোৰ অকণমান সেমেকি উঠিছিল সন্ধ্যাৰ। গোহালিৰ পৰা অহা হেম্বে শব্দটো, টুকটুক খুন্দনাৰ শব্দটো নাইবা গোঁসাই ঘৰৰ আইতাকৰ "শ্ৰীমন্ত শংকৰ, হৰি ভকতৰ..." গোৱাৰ সুৰটো। আকৌ বা কিমান দিনলৈ নুশুনাকৈ থাকে। এৰা, জীৱনটোত কিবা পাবলৈ হ'লে কিবা হেৰুৱাবও লাগিব। সন্ধ্যাও ব্যতিক্ৰম নহয়।

ইউনিভাৰ্চিটী সোমায়েই মনটো গধূৰ লাগি আছিল তাইৰ। কান্দোনটোও যেন বুকুখনতে লাগি ৰৈছে। একোৱেই ভাল লগা নাই। মাকে বনাই পঠোৱা নাৰিকলৰ লাৰুকেইটাও খুলিবলৈ মন যোৱা নাই তাইৰ। তেনেতে ফোনটো বাজিল,

"ঐ বান্দৰী, পালিহি নে? ঠিকে আছতো মানুহজনী" অভিমন্যুৰ ফোন।

"ওম, এইমাত্ৰ।" তাই সৰুকৈ ক'লে।

"ওলাই যাওঁ ব'ল, কান্দিহে আছ চাগে ঘৰলে মনত পেলাই।" কেনেকৈ যে গম পাই এইটোৱে।

"নাই কান্দা যাহ।" কন্দা নাছিল যদিও কান্দো কান্দো হৈছিল তাই।

"এ হ'ব জানো মই। ওলা। মই গৈ আছোঁ। তললৈ আহি যাবি ফোন কৰিলে।" ফোনটো কাটিলেই সি।

এই যে অধিকাৰবোৰ, মাতিলে যাবই লাগিব ; সন্ধ্যাৰ ভাল লাগে ক'ৰবাত। ওলাই গ'ল তাই অভিমন্যুৰ লগতে। আবেলিৰ বেলিটো আহি হেঙুলীয়া কৰিছিল চৌহদটো।

Kaushik

ভাবীৰ তাত একাপ চাহ। তাৰ পৰা আহি পাটকাইৰ পুলটোতে ৰাজদ্বীপহঁতক পালে। প্ৰিয়া, জুৰিহঁতো আছিল। গোটেই কেইটাই ভালেখিনি সময় আড্ডা মাৰিলে তাতেই। ইউনিভাৰ্চিটীৰ সন্ধিয়াবোৰ এনেকৈয়ে ৰঙীন হয়। লগৰবোৰৰ লগত যাযাবৰী আড্ডা, মাজতে দুই এজন চিনাকিৰ চিঞৰ। এইবোৰতো যেন কিবা মাদকতা। মাজতে এবাৰ অনুৰণৰ খবৰ লৈছিল তাই। সি ৰুমতে আছে বোলে। অলপ সময়ৰ পাছত হোষ্টেল গ'ল তাই। মনটো বহুখিনি ফৰকাল হৈছিল। যেন ঘৰৰ মানুহখিনিক হে লগ পালে। এই ঘৰৰ পৰা আহিয়েই চিনাকি মুখকেইখন নেদেখিলে সঁচাই অশান্তি লাগে। হোষ্টেলত ৰীণা আৰু বিদিশাহঁতৰ আগত মাকে দি পঠোৱা কেক আৰু নাৰিকলৰ লাৰুকেইটা উলিয়াই দিছিল তাই। ৰীণা বা জনী জঁপিয়াই আহিছিল।

"কি মজা কেক বনাইছে ৰে আন্টীয়ে" বুলি আধাখিনিয়ে খালে দুইজনীয়ে। তাৰ পিছতেই ভাত খাই সিহঁতৰ নিয়মীয়া আড্ডা। এই দুদিন হোষ্টেলত কি কি হ'ল, প্ৰিফেক্টে কাক গালি দিলে, মেছৰ খানাত কি কি বেয়া পালে, হোষ্টেলৰ কোনজনী ছোৱালীক নিৰিবিলিত বহি থকা দেখিছে সকলো খবৰ সন্ধ্যাক জনাবলৈ নাপাহৰিলে বিদিশাই। সন্ধ্যাইও হাঁহি হাঁহি শুনি গ'ল। কাইলৈ সোমবাৰ। আকৌ ক্লাছ। এই ক্লাছবোৰ কেতিয়াবা ইমান আমনি লাগে। তাতে দুদিন ঘৰত থাকি আহি যে নোৱাৰি মানে। সোনকালেই বিচনাত পৰিল তাই। তেনেতেই মেচেজ ট'ন,

"Pala hi ghoror pora?" মেচেজটো আহোঁতেই গম পাইছিল তাই কোন হ'ব। আজিকালি মেছেজ ট'নৰ শব্দটোও চোন কিবা ভাল লগা হৈছে তাইৰ। এৰা কেতিয়াবা এই সৰু শব্দটোও ভাল লাগে, যেতিয়া তাত কাৰোবাৰ নাম জিলিকে থাকে।

"O, paluhi abeli te" তাই দিলে।

"Maa hotor bhal ne ghorot?" অনুৰণৰ মেচেজটোত এবাৰ ৰৈ গ'ল তাই। তাই অহাৰ পৰা প্ৰায় সকলোৱেই সুধিছে "কি খবৰ" "খুব ফুৰিলি চাগে ঘৰত" "দুদিন দেখা নাই তোক, ভালে আছ নে" ইত্যাদি। কিন্তু এই প্ৰথম তাইক কোনোবাই ঘৰত মাকহঁতৰ কথা সুধিলে অনুৰণে। যেতিয়া কোনোবাই এইদৰে ঘৰৰ খবৰ লয়, সঁচাই খুব ভাল লাগে। তাৰ লগত কিছু সময় কথা পাতি টোপনি গ'ল সন্ধ্যা। কিয় জানো উকা ৰাতিবোৰত অনুৰণৰ এই মেচেজবোৰে যেন এক অজান ৰং সানি দিয়ে।

Kaushik

দিনবোৰ পাৰ হৈ আছিল এই দৰেই। মাজতে সন্ধ্যাহঁতৰ এটা পৰীক্ষাও হৈ গ'ল। চেকেণ্ড টাৰমিনেল। অৱশ্যে এইটোত অকল অবজেকটিভ টাইপহে আহে। বেয়া হোৱা নাই বাৰু। সময় বাগৰিছে। সময়ৰ সোঁতত গজালি মেলিছিল কিছু নতুন হেঁপাহে। আজিকালি অভিমন্যুয়ে জোকালে সন্ধ্যাৰ খং নুঠে। বৰং তাই নিজেই বিচাৰে সি তাইক জোকাওক। তাইৰ লগতেই যেন কথা পাতক। কিয় এনে হৈছে তাই নিজেও নাজানে। অৱশ্যে ইয়াত বাকীবোৰৰো কম অৰিহণা নথকা নহয়।

"অভিমন্যুৰ সঁচাকৈ তোৰ প্ৰতি কিবা আছে বুইছ সন্ধ্যা" প্ৰিয়াৰ যেন এইটো কমন ডাইলগ হৈ পৰিছে। হোষ্টেলেই হওঁক বা ক্লাছৰুমেই তাই ক'বয়েই।

"সি যে any time তোৰ লগতেই লাগি থাকে, its love ৰে" সীমাই লগ পালেই তাইক কয়। সেই কৌশিকৰ কথাটোও উলিয়াই। সি যে ভিডিঅ' কৰিছিল। সেই কথাটো মনত পৰিলে তাইৰো কিবা ভাল লাগে।

"তহঁত দুটা যে ইমান ভাল মিলিবি" জুৰিয়ে প্ৰায়েই ফুচফুচাই। তাই নিজৰ লাভষ্টৰীও সন্ধ্যাক কয়। চিনেমা, উপন্যাসবোৰৰ উদাহৰণ দিয়ে। প্ৰেমৰ আৰম্ভণি এনেকৈয়ে হয়। প্ৰথমে কাজিয়া, তাৰ পাছত বন্ধুত্ব আদি। সন্ধ্যাই এইবোৰৰ উত্তৰত একো নকৈ মাত্ৰ হাঁহে। তাই নিজেও বুজি নাপাই একো। অৱশ্যে জোকালে ভালো লাগে।

এইবোৰৰ মাজতেই আহি আছিল Mid Term। যিদৰে পানেই-জংকী, লাইলা-মজনু, নাইবা ৰাধা-কৃষ্ণ সেইদৰেই তেজপুৰ ইউনিভাৰ্চিটী আৰু ইয়াৰ পৰীক্ষা। যেন ইটোৱে সিটোক এৰি থাকিবই নোৱাৰে। বেলেগ কলেজত যদি ক্লাছৰ মাজে মাজে পৰীক্ষা, ইয়াত পৰীক্ষাৰ মাজে মাজে ক্লাছ বুলিব পাৰি।

কিন্তু পৰীক্ষাৰ আগত ৩০ ছেপ্তেম্বৰত আছিল অভিমন্যুৰ জন্মদিন। ক্লাছৰ সীমায়েই আগভাগ লৈছিল তাৰ বাৰ্থদে পতাত। কি কি গিফ্ট দিব ক'ত কেক কাটিব ঠিক কৰিবলৈকে এদিন ক্লাছৰ পিছত লগ হৈছিল সিহঁতবোৰ। এইবোৰ কথা আলোচনাৰ বাবে Essential তকৈ উত্তম স্থান আৰু কি হ'ব পাৰে। সিদিনা ক্লাছ সোনকালে শেষ হোৱাৰ পাছতেই সিহঁত কেইটামান Essential আহিছিল। দিনৰ ভাগত ইয়াত বৰ বেছি মানুহ নাথাকে। কোনোবা জেৰক্স কৰিবলৈ অহা নহ'লে এটিএমৰ পৰা পইছা উলিয়াবলৈ অহা দুই এজন। ঘূৰণীয়া টেবুলখনত বহি ল'লে সিহঁত। গছজোপাৰ তলতে। কিমান যে পুৰণি এই গছজোপা। কত হাঁহি, কত চিঞৰৰ নীৰৱ সাক্ষী। অভিমন্যুক

ভাগ্যে ময়ূঁৰে সিফালেৰে লৈ গ'ল। নহ'লে সিহঁতে এইবোৰ কথা পাতিবই নোৱাৰিলে হেঁতেন। সীমাই হিচাপ কৰিছিল গিফ্টৰ। তেনেকুৱাতে সন্ধ্যাই ক'লে,

"তাৰ কেকটো তহঁতে অৰ্ডাৰ দিব নালাগে, মই দিম"

"Oyeeee hoyeeeee" একেলগে প্ৰায় ৮ টা মান ল'ৰা ছোৱালীৰ চিঞৰত কঁপি উঠিছিল essential ৰ মজিয়া। কেকটো তাই দিবই যেতিয়া বাকী বোৰ ঠিক কৰিছিল অনুৰণহঁতে। সকলো শেষ কৰি হোষ্টেল যাবলৈ লওঁতেই সীমাই প্ৰস্তাৱটো দিলে,

"দেৰিয়েই হ'ল এতিয়া, বাহিৰতে কিবা এটা খাই যাওঁ নহ'লে চবেই ব'ল।"

ঠিকেই। দেৰিকৈ গৈ হোষ্টেলৰ দালিৰূপী পানীবোৰ খোৱাতকৈ বাহিৰতে কিবা খোৱাই ভাল। সকলো মান্তি হৈছিলেই। তেনেকুৱাতে অনুৰণে ক'লে,

"মই গৈ থাকোঁ। কাম অলপ আছে মোৰ। তোমালোক যাবা। মই হোষ্টেলতে খাম।"

ৰাজদ্বীপে অলপ জোৰ কৰিছিল যদিও অনুৰণ নৰ'ল। সি হোষ্টেলৰ ফালে খোজ ল'লে। সুধিব খুজিও একো নুসুধিলে সন্ধ্যাই। তাই জানে সকলোৰে সমুখত এনেও একো নকয় সি। অনুৰণ যোৱাৰ পাছতে কেফেটেৰিয়া পালেগৈ সিহঁত। কোনোবাই ভাত, কোনোবাই বিৰিয়ানি, কোনোবাই ৰুটীৰ অৰ্ডাৰ দিলে। কেফেটেৰিয়াৰ ভিতৰৰ খিৰিকীখনৰ পৰা KBR অডিট'ৰিয়ামটো দেখি থাকি। লগতে সমুখৰ সোণাৰু জোপা। বতাহত উৰি অহা হালধীয়া পাহিবোৰ, বৰ প্ৰিয় সন্ধ্যাৰ। অৰ্ডাৰ আহি পোৱা নাই বাবে নিজৰ মাজতেই আড্ডা মাৰি আছিল সিহঁতে। ইয়াত অলপ দেৰি হয়। তেনেতে সন্ধ্যাই মোবাইলটো উলিয়াই মেচেজ টাইপ কৰিলে,

"Ki ene kam ulal ha tumar?" সন্ধ্যাৰ মেচেজ জিলিকি উঠিল অনুৰণৰ মোবাইলত। সি এনেকৈ গুছি যোৱাটোত খং উঠিছিল তাইৰ। আজিকালি সি কিবা আঁতৰি থকাৰ দৰে থাকে চোন।

"Ase olop" তাৰ reply.

"Muk kobo nuara ne ki" তাইও দিলে লগে লগে।

"Pasot kom dia" সন্ধ্যাই বুজিলে সি ক'ব খোজা নাই।

"Huna na, abhi r cake tu iyat KF te order dim ne town t dile bhal hobo?"

ইচ্ছা কৰিয়েই কথা উলিয়াইছিল সন্ধ্যাই।

Kaushik

"KF t first hudhi loba teneke order dia design mote bonai ne nai, jodi nuare then town te dibo lagibo"

ঠিকেই কৈছে সি। এবাৰ সুধি আহিব তাই।

"Town te he dia bhal hobo neki" আকৌ দিলে সন্ধ্যাই। আচলতে তাই কথা পাতিব খুজিছিল তাৰ লগত।

কিছু সময়ৰ পাছত তাৰ reply,

"Sai lua suun KF tu hudhi"

অলপ সময় ৰৈ সন্ধ্যাই আকৌ দিলে,

"Mood bea neki aji?"

"Nai ene" বহু সময়ৰ পাছত তাৰ reply.

আচৰিত হ'ল সন্ধ্যা। কি হৈছে মানে ইয়াৰ। যিটো সোধে অকল সেইটোহে কয়। বেলেগ কথা এটাও নাই। দুদিন মানৰ পৰা তাইৰ অনুভৱ হৈছে অনুৰণ যেন সলনি হ'ব ধৰিছে। আগতে নিজেই কিবা কিবি কথা সুধি থাকে। তাইক জোকাই হাঁহি উঠাই। কিন্তু আজি কালি যে বেছি সময় কথাই নাপাতে মেচেজত। সমুখতটো নাইয়েই। তাই এদিন সুধিও পেলাইছিল অকলে পাই,

"কি হৈছে তোমাৰ ৰণ?"

"নাই, ঠিকেতো আছোঁ" বুলি আঁতৰি গৈছিল সি।

এতিয়াও আকৌ এইয়া। যাহ্ ইমান ভাবি কি হ'ব বুলি মনটোক বুজালে তাই। কিন্তু আজলী সন্ধ্যাই বুজা নাছিল, সলনি অনুৰণ নহয়, তাইহে হৈছিল।

অৱশেষত সকলো preparation শেষ হ'ল ৩০ ছেপ্তেম্বৰলৈ। planning মতেই অনুৰণে অভিমন্যুক লৈ আহিব essential লৈ। তাতেই সকলো সাজু থাকিব।

"ঐ, তোৰ কেক time ত পাবহিতো?" Class ৰ পৰা গৈ থাকোঁতে বাটত ক'লে সীমাই।

"Don't worry. আহি যাব।" সন্ধ্যাৰ আশ্বাস।

"এৰা, অভিমন্যুৰ birthday আৰু, নে কি ?" জুৰিয়ে সুযোগটো নেৰিলে।

মিচিকিয়া হাঁহিটো ইচ্ছা কৰিয়েই নুলুকুৱালে সন্ধ্যাই। ভাল লাগে চোন এই জোকোৱাবোৰ আজিকালি। থাকক চোন হাঁহিটো মুখতে লাগি। এৰা, অপবাদ যেতিয়া

Kaushik

প্ৰিয়জনৰ সৈতে হয় তেতিয়া সহ্য কৰিও ভাল লাগে। ২৯ ছেপ্তেম্বৰৰ ৰাতি ঠিক ১২ বাজিবলৈ লওঁতেই সন্ধ্যাই ফোন লগালে।

"The number you have dialed is currently busy"

এই বাক্যটো শুনিলেই খং উঠে সন্ধ্যাৰ। তাতে অভিৰ নম্বৰত। বাৰ্থদেৰ দিনা ৰাতি ১২ টাত কাৰ লগত বিজি ই? কেনেবাকৈ তাৰ কোনোবা...। ভাবি থাকোঁতেই সি ফোন কৰিলে। নাই, সোধো বুলিও একো নুসুধিলে তাই। আজিৰ দিনটোত তাই এইবোৰ সুধি কামোৰ নিদিয়ে আৰু।

"Happy Birthday অভি" ফোনটো ধৰিয়েই ক'লে তাই।

"Gift নোহোৱা wish লাভ নাই" তাৰ উত্তৰ। নিলাজটো ক'ৰবাৰ।

"Atchaa, কি লাগিব ক" তাই ক'লে।

"যিটো খোজো দিবি?"

"দিমতো।"

"ধুনীয়া চাই ছোৱালী এজনী পতাই দে না।"

"অসভ্য, ফোন ৰাখ।" ফোনটো কাটি দিলে তাই।

Kaushik

টিঙিচ উঠি আহিল সন্ধ্যাৰ খংটো। বাৰ্থদে দিনাও তাৰ অসভ্যালি। ইমান হেঁপাহেৰে তাই তাৰ বাৰ্থদে আয়োজন কৰিছে, আৰু সি...।

আকৌ মোবাইলটো বাজি উঠিল সন্ধ্যাৰ। অভিয়ে কৰিছে।

"ধেমালি কৰিছো বে, মইতো এনেও তোৰ বাহিৰে বেলেগ ছোৱালীৰ লগত বেছি দিন নিটিকো।"

হাঁহি উঠিল সন্ধ্যাৰ। এৰা, সি ভাঙিব বুলি জানে কাৰণেইতো তাইও অভিমান কৰে বাৰে বাৰে।

"ঐ, কিমান ফেনাবি আৰু ঘৈণীৰ লগত, কিবা এটা খোৱা কেন্টিনত।" কাষৰ পৰা বিনোদৰ চিঞৰ শুনি "bye" বুলি ফোনটো কাটিলে সন্ধ্যাই। এক অজান অনুভৱে যেন বুৰাই পেলাইছে তাইক। তাৰমানে অভিৰ লগৰ বোৰেও তাক জোকাই। ইচ্, সি কি বুলি কয় বাৰু? তাইৰ দৰেই তাৰ মুখতো হাঁহি এটা ওলমি ৰয় নে? মনটো কিবা

ভৰি উঠে নে? সকলোৱে ইমান জোকাই সিহঁতক। এনেই জোকাবনে বাৰু? কিবা আছে চাগে। আছে জানো? নাজানে তাই। কিন্তু ভাল লাগে আৰু তাৰ লগত চুপতি মাৰি। সিও বাৰু তাইক? ছেহ্, কি যে ভাবিছে। হ'বওতো পাৰে। সেই যে ভিডিঅ'টো কৰিছিল সি। ইমান চিন্তা কৰে তাইৰ কথা। অকল বান্ধৱী বুলিয়ে কৰিব নে? কথাবোৰ ভাবি ভাবি বিচনাত বাগৰিল সন্ধ্যা । থং আৰু চুপতিৰ পৰা আৰম্ভ হোৱা অভিৰ লগত তাইৰ কাহিনীটোৰ কথাই ভাবি ভাবি টোপনিত ঢলি পৰিল তাই । বিচনাৰ কাষত মোবাইলটোত এলাগী হৈ পৰি ৰৈছিল অনুৰণৰ মেচেজটো,

"Oi, xula ni"

(আগলৈ)

#নিৰিবিলি

Part 27

অনুৰণৰ মেচেজটো ৰাতিপুৱা সাৰ পাইহে দেখিলে সন্ধ্যাই। ছেহ্। তাই একো reply নিদিয়া দেখি কি বুলি ভাবিছিল বাৰু সি? তালৈ মেচেজটো লিখো বুলি লওঁতেই সিদ্ধাৰ্থ দাৰ ফোন আহিল,

"ৰুণজুন, তই কেইটাত যাবি টাউন?" ফোনটো উঠাওঁতেই সুধিলে সি।

অভিমন্যুৰ কেকটো তাই টাউনতে অৰ্ডাৰ দিছিল। ইয়াত KF ত গৈছিল। কিন্তু তাই আশা কৰা মতে নাপালে। অভিৰ জন্মদিনত তাই বিশেষ কিবা এটা কৰিব খোজে। গতিকে no compromise. সিদ্ধাৰ্থৰ লগতেই গৈ তাই টাউনত বিশেষ ডিজাইনেৰে কেকটোৰ অৰ্ডাৰ দি আহিছিল সিদিনা। সিদ্ধাৰ্থৰ বাইকখন থকাৰ বাবে সুবিধা। নহ'লে এই বাছত গৈ মেলি অহালে প্ৰায় দুই তিনি ঘণ্টাই গুছি যায়। ইমান যে দূৰত বনালে এই ইউনিভাৰ্চিটীখন।

"মোৰ চাৰে বাৰটা লৈকে ক্লাছ। তাৰ পাছতে ওলাই দিম।" সন্ধ্যাই ক'লে।

"ঠিক আছে। ক্লাছৰ পৰা ওলাই ফোন কৰিবি। হোষ্টেল নাযাওঁ আৰু। বাহিৰেই গুছি যাম।" ফোনটো থ'লে সিদ্ধাৰ্থই। এই ককায়েকটো থকাৰ বাবেই বহু খিনি সকাহ তাইৰ। সি নিজেও কম ব্যস্ত নে? তাৰ নিজৰ ৰিচাৰ্চৰ কাম, লগতে MA বোৰৰ ক্লাছো ল'ব লাগে। ইফালে আকৌ নাটকৰ কামবোৰো আছেই। তাৰ মাজতেই তাইৰো জঞ্জাল

Kaushik

মাৰে সি। ফোনটো থৈ লৰালৰিকৈ ক্লাছলৈ ওলাল তাই। অনুৰণৰ মেচেজটো seen হৈয়ে থাকি গ'ল।

ফাৰ্ষ্ট ক্লাছলৈ অভিমন্যু নাহিল। অনুৰণ অকলে আহিছে। সন্ধ্যাই জানে, ক'ত আহিব। ৰাতি কম পিটন পৰিল নে চাগে। এই ল'ৰাবোৰৰ হোষ্টেলত যে কি নিয়ম এইবোৰ তাইৰ খংহে উঠে। এদিন অভিয়েই কৈছিল, সিহঁতৰ হোষ্টেলৰ কাৰোবাৰ জন্মদিন হ'লে হেনো কোবাই। আৰে, এইটো কি কথা আকৌ। আগতে ঘৰত থাকোঁতে মাকহঁতে তাইক জন্মদিনৰ দিনা গাত হাত তোলাটো বাদেই টানকৈ কথা এষাৰো নকয়। জন্মদিনটো বেয়াকৈ গ'লে গোটেই বছৰটো বেয়াকৈ যায় হেনো। ইয়াত যে আকৌ কতটা নক্সা। সিহঁতৰ ছোৱালীমখাৰো কমখন উৎপাত নে? সিদিনা সিহঁতৰ wingৰ কোনোবা এজনীৰ বাৰ্থদে আছিল। প্ৰেৰণাৰ হ'বলা। পানী চানি ঢালি, মূৰত কণী ভাঙি কিমান যে হাল্লা। "হেপি বাৰ্থডে" বুলি কৈ নাকত সোপা দি গুছি আহিল তাই। অভিমন্যুক পিছে ভালকৈয়ে কোবালে। ৰাজদীপে হোৱাটছ এাপ গ্ৰুপটোত ভিডিঅ' দিছিল। সকলোৰে লগত ভাল হোৱাৰ বাবে অভিৰ চিনাকিও বেছি যে, গোটেই হোষ্টেলখনেই যেন উঠি আহিছে। সিদ্ধাৰ্থহঁতো আহিছিল। সিহঁতৰ পাটকাইৰ প্ৰিফেক্ট যে, ওখকৈ দাদাজন। নামটো কি জানো, সি হে যেনে তেনে বেছি মাৰ খোৱাৰ পৰা বচালে তাক। হ'লেও বেছেৰাই বিষৰ কোবত উঠিবই পৰা নাই চাগে। পৰীজনীয়ে আকৌ Happy Birthday বুলি দি লাভৰ স্মাইলি কেইটাও দিছে। খঙেই উঠিছিল সন্ধ্যাৰ। ক্লাছত ছাৰ সোমাল। Attendance লৈ আছে,

"EGI1500*"

"Present sir"

আচৰিত হ'ল সন্ধ্যা। এইটোতো অভিৰ ৰোল নম্বৰ, সিতো অহাই নাই। তেন্তে? Proxy? কাৰ কাম এইটো। "present sir" বুলি অহা লগে লগেই শব্দটোৰ ফালে ঘূৰি চাইছিল তাই। অনুৰণৰ চকুৱে চকুৱে পৰিল। আচৰিত হৈ চকুকেইটা ডাঙৰ হৈ গ'ল তাইৰ। তাৰমানে ই...?? মুখত আঙুলিটো লগাই তাইক মনে মনে থাকিবলৈ অনুৰোধ কৰিলে সি। চকুত হাঁহি তাৰ। তাইৰো হাঁহি উঠিল, ইমান শান্ত শিষ্ট ল'ৰাটোৰ এই দুষ্টামিত।

"Abhimanyu r agoteu class eta miss hoisil, so eitu tu miss hole attendance besi komi jabo. So"

অনুৰণৰ মেচেজ সন্ধ্যাৰ মোবাইলত। উত্তৰত একো নকৈ তালৈকে চাই হাঁহিলে তাই, লগতে সিও।

kaushik

পিছৰ পিৰিয়ডটোত সোমালহি অভিমন্যু। গোটেই বোৰে happy birthday বুলি চিঞৰি উঠিছিল। সঁচাই জন্মদিনবোৰ যে ইমান বিশেষ। তাইৰ ওচৰতে বহিছিল সি,

"কি দিবি মোক পাগলী?"

"কি খোৱাবি সেইটো ক আগতে পাগল।"

"ফাৰ্ষ্ট গিফ্ট চাই ল'ম। তাৰ মতেহে খানা। ধৰি ল এশ টকা মানৰ বস্তু দিলে তোৰ চিকেন বিৰিয়ানি হাফ প্লেট এটা পাৰি। কিন্তু পঞ্চাছতকৈ কম দামী দিলে চিংৰা এটা। আৰু তোৰ...."

"যাহ্, এইডাল। ফটুৱা।" হাঁহি হাঁহি তাৰ বাহুটোতে মিহিকৈ খুন্দা এটা মাৰিলে তাই। চব কথাত ফটুৱামি ইয়াৰ।

"ক্লাছ নিজে নাহি বেলেগক proxy মাৰিবলৈ লগাই থৈছ ন?" তাই সুধিলে তাক।

"কাক proxy মাৰিবলে লগালো মই?" সি যেন একো গমেই নাপায়।

"ইচ্, হ'ব হ'ব। একো যেন গম হে নাপাৱ। ছাৰে ধৰিব নোৱাৰিলেও মই ধৰা পেলালোঁ অনুৰণে proxy মাৰা।" তাইৰ কথাত যেন জাঁপ মাৰি উঠিল সি।

"কি কৱ বে? অনুৰণে মোৰ proxy দি দিলে? সঁচা মই কোৱা নাছিলো বে তাক। even সি ৰাতিপুৱা মাতিবলে যাওঁতেও টোপনিতে আছিলোঁ মই।" তাইক কথাখিনি কৈ অনুৰণৰ ওচৰলৈ গ'ল সি।

"ঐ ভাই, থেংকচ বে। বচাইছা আজি। আগতেও ক্লাছ মিছ হৈছিল মোৰ।" বুলি গবা মাৰি ধৰিলে তাক।

হাঁহি উঠিছিল সন্ধ্যাৰ। লগতে ভাল লাগিছিল। আচৰিত এই অনুৰণ। নোকোৱাকৈও proxy দি দিছে সি। এৰা, এই ৯০ শতাংশ উপস্থিতিত এটা এটা attendance ৰ এটুকুৰা সোণতকৈ বেছি মূল্য।

চাৰে বাৰটাত ক্লাছ শেষ কৰি সিদ্ধাৰ্থৰ লগত টাউন গ'ল সন্ধ্যা। কেকটো লৈ বাহিৰতে ভাত খাই আহিল সিহঁতে। হোষ্টেল পাই কেকটো ফ্ৰীজত ভৰালে তাই।

Kaushik

আগতে ঠিক কৰি থোৱা মতেই আবেলি essential ত লগ হৈছিল গোটেই কেইটা। অনুৰণে লৈ আনিব অভিমন্যুক। এজনী এজনীকৈ জুৰি, সীমা, নিমিষা, প্ৰিয়া, মনশ্ৰী, পৰী আহি পাইছিলহি। essential ৰ বাঁওফালৰ ঘূৰণীয়া বেঞ্চ এখন বাছি লৈছিল সিহঁতে। চকীবোৰো চপাই আনি আনি বহিছিলহি। টেবুলখন ভৰি আছিল ৰঙীন কাগজেৰে পেকিং কৰা গিফ্ট, বেলুন আদিৰে। কাষেৰে অহা যোৱা কৰা দুই এজনে সিহঁতলৈ চাইছিল। Essential ত বাৰ্থডে পতাটো অৱশ্যে এটা পৰম্পৰাই। TU ত পঢ়ি যদি তুমি Essential ত এজাক চিঞৰৰ মাজত কেক কটা নাই, তেন্তে কি কৰিছা আৰু তুমি? এনেকুৱাই আৰু কথাবোৰ। অৱশ্যে বন্ধ মাহবোৰত যাৰ জন্মদিন পৰে, সিহঁতবোৰৰ কথা সুকীয়া বাৰু। ঈশ্বৰে অন্যায় কৰিলে সিহঁতক।

সীমাই বেলুন বোৰ ফুলাবলৈ লৈছিল এটা এটাকৈ। এনেবোৰ কামত তাই সদায় আগৰণুৱা। ৰাজদ্বীপ আৰু বিশ্বজিতো আহিল। পিছে সন্ধ্যাহে আহি পোৱা নাছিল।

"ঐ, আমাৰ main জনী আহি পোৱাই নাই যে" সন্ধ্যা তেতিয়ালৈকে আহি নোপোৱাত জুৰিয়ে কৈ উঠিল সকলোৰে শুনাকৈ।

"তাকেইতো, ইমান দেৰি কেলে কৰিছে ৰে তাই, cake চোন অনাই নাই ইয়ালে। ফোন লগা তাইক।" বেলুন এটা ফুলাবলৈ লৈ সীমাই নিমিষাক কলে।

"বৰ বেছিয়েই ধুনীয়া হৈ গৈছ দেই সন্ধ্যা।" আইনাৰ সমুখত ৰৈ বিদিশাৰ কথাত হাঁহিলে সন্ধ্যাই। পাতল নীলা ৰঙৰ top টো পিন্ধি আইনাত নিজকে চাব লৈছে তাই। এদিন অভিয়ে কৈছিল সি পাতল নীলা ভাল পাই বুলি। তাৰ বাবেই আজি এইটো পিন্ধিছে তাই। এনেই হলে ইমান দামী top টো খুব সামৰণ কৈ পিন্ধে। কিন্তু আজিৰ দিনটোত অভিমন্যুক ভাল লগোৱাৰ এটাও অজুহাত নেৰে তাই। সি ভাল পাব বুলিয়েই তাই বিশেষ ভাবে order দিছে cake টো। cake ৰ কথা মনত পৰোঁতেই ভয় লাগিল সন্ধ্যাৰ। সেইটো চোন নিয়াই নাই। এতিয়া লৈকে চব আহিয়ে পালে চাগে। তেনেকুৱাতে ফোনটো বাজিল। নিমিষাই কৰিছে,

"ঐ, আহ আকৌ। ইমান দেৰি কৰিছ যে"

সিফালৰ পৰা জুৰিয়ে চিঞৰিলে,

Kaushik

"হেৰৌ, birthday হে, বিয়া বুলি ভাবি কইনা ড্ৰেচ পিন্ধি নাহিবি আকৌ।" লগে লগেই এজাউৰী হাঁহি।

বিয়া, এই জুৰি জনীও যে। নিজলৈকে কিবা লাজ লাগি গ'ল সন্ধ্যাৰ। "গৈ আছোঁ" বুলি ফোনটো কাটিয়েই হোষ্টেলৰ পৰা ওলাল তাই। যাওঁতে মেচৰ ফ্ৰীজৰ পৰা কেকটো লৈ ল'লে।

ইতিমধ্যে অনুৰণ আৰু অভিমন্যু আহি পালে। অভিমন্যুয়ে সন্দেহ কৰিছিলেই অলপ অচৰপ। গতিকে সেইটো আৰু বৰ এটা surprise হৈ থকা নাছিল। কিন্তু সন্ধ্যা আহি নোপোৱাৰ বাবে হে খং উঠিছিল চবৰে।

"বাহ, মোৰেই বাৰ্থডে। আৰু মই হৈ আছোঁ কেক আনিব আনিব বুলি। কম surprise দিছ নে মোক?" সকলোৱে হাঁহি উঠিল অভিমন্যুৰ কথাত।

"ঐ, আমাক দোষ নিদিবি দেই। তোৰ মানুহ জনীয়েহে নিজে কেক অৰ্ডাৰ দিম বুলি ওষ্টাডি মাৰিছিল। আৰু এতিয়া..."

জুৰিৰ কথা শেষ নহওঁতেই সন্ধ্যা আহি পালেহি।

"গোটেই কেইটা লগ হলে অকল মোৰ বদনাম নহয়?" কৃত্ৰিম খং দেখুৱালে সন্ধ্যাই।

"আই ঐ, বৰ মৰম লাগিছে আকৌ আমাৰ মইনাজনীক।" সন্ধ্যা সোমাই আহোঁতেই জুৰিয়ে চিঞৰিলে।

"লাগিবইতো। বাৰ্থডে কাৰ আকৌ আজি।" সীমাইও যোগ দিলে। সঁচাই, নীলা ৰঙৰ টপটোৱে মেলা চুলিৰ সন্ধ্যাক বৰ ধুনীয়া দেখাইছিল। আবেলিৰ ৰংখিনি যেন তাইৰ নামতে বিয়পিছিল।

"তোমাৰ special cake ready নে সন্ধ্যা?" নিমিষাই সুধিলে।

"একদম ৰেডি।" কেকৰ বাকচ টো টেবুল খনৰ ওপৰত থৈ সন্ধ্যাই অভিমন্যুক ক'লে, "খোল তয়ে"

বাকচটোৰ পৰা cake টো উলিয়াই আচৰিত হৈ গ'ল সকলো। ঘূৰণীয়াকৈ ডাঙৰ কেকটোত ক্ৰিকেট বেটখন আৰু বলটোৰ এটা ডিজাইন। ওপৰতে লিখা আছিল "Happy Birthday Abhi" অভিমন্যু ক্ৰিকেটৰ বাবে সাংঘাতিক বলিয়া বুলি জানে সকলোৱে। কিন্তু

Kaushik

সেইবুলি এনেদৰে যে কেকটো বনাই আনিব সেইটো কোনেও ভবা নাছিল। বাকী কেইটাটো বাদেই, অভিমন্যু নিজেও নিশ্চুপ হৈ গৈছিল।

"So, কেনে পালি মোৰ spcl cake?"

সকলোৰে আচৰিত হোৱা মুখ কেইখন দেখি সুধিলে সন্ধ্যাই।

"OMG সন্ধ্যা, ইমান ধুনীয়া লাগিছে ৰে।" ফটো তুলিবলৈ লৈ সীমাই ক'লে।

জুৰিয়ে মমকেইডাল মান জ্বলাইও দিলে।

"Okk। এতিয়া time waste নকৰি cake কাট।"

সন্ধ্যাৰ কথাত cake কাটিবলৈ ল'লে অভিমন্যুয়ে।

"Happy Birthday to you, happy birthday dear Abhimanyu, happy birthday to you."

Essential জীপাল হৈছিল happy birthday to youৰ সুৰত। কিমানৰ চাগে জন্মদিনৰ সুৰ মিলি আছে essentialৰ বতাহত।

"So first piece টো যাব.... পৰী, চাওঁ অলপ" অভিমন্যুয়ে পৰীক মতাৰ লগে লগে খঙে মূৰ চুলেগৈ সন্ধ্যাৰ। পিছে পৰীৰ কাষেৰে গৈ সি সন্ধ্যাৰ মুখত কেক টুকুৰা গুজিলে।

"Eiiiishhh kya scene he..." জুৰিৰ লগতে চিঞৰি উঠা কোনেও মন কৰা নাছিল পৰীৰ খঙত ৰঙচুৱা হৈ পৰা মুখখন। সকলোৰে ফটো উঠাই আছিল সিহঁতক।

লাহে লাহে কেক কটাৰ পৰ্ব শেষ হ'ল। অভিমন্যুয়ে জোৰকৈ সন্ধ্যাৰ মুখত কেকৰ ক্ৰীমবোৰ সানিলে। তাই পলাইছিলেই, সি টান মাৰি আনি লগালে। আটাইবোৰে যে সিহঁতক জোকাওঁ বুলিয়েই জোকাইছিল। এবাৰততো সীমাই কৈয়েই পেলাইছিল,

"অভিমন্যু, আজি নহ'লে অফিচিয়েলি কৈয়েই দে আৰু" ধেৎ বুলি কৈ আঁতৰিছিল সি। নুশুনা ভাও জুৰি সন্ধ্যাই তাৰ মুখলৈ চাইছিল। নাই, একো বিশেষ প্ৰতিক্ৰিয়া নাছিল। লাহে লাহে এন্ধাৰ হ'ব ধৰিছে। কেকবোৰ খাই কিছুমানে essentialৰ পিছফালে পানীৰ টেপটোত হাত ধুই আহিছিলগৈ। ক্ৰীম লগাৰ বাবে মুখ ধুবলৈ সন্ধ্যাও গ'ল তালৈ। বাকীবোৰ আগফালেই আছে। পিছফালৰ টেপটোৰ ওচৰতে আগৰ পৰাই অনুৰণ ৰৈ আছিল। তাই দেখা পাই হাঁহিলে। আবেলি আঁতৰি সন্ধিয়া হ'ব লৈছিল। ঠিক এন্ধাৰো হোৱা নাছিল। মাত্ৰ পোহৰটো কমি আহিছিল। পোহৰ এন্ধাৰৰ যেন এটি মায়াৱী সন্ধিয়া।

Kaushik

"মুখত ভালকৈয়ে ক্ৰীম লাগিল" অনুৰণে ক'লে।

"নক'বা আৰু, এই অভিয়ে বেয়াকে লগালে।" মুখখন ধুই ধুই ক'লে সন্ধ্যাই।"

অনুৰণে চাই ৰৈছিল একেথিৰে। পানীৰে তিতি থকা তাইৰ মুখখন এন্ধাৰৰ মাজতো জিলিকিছিল যেন। কপালৰ আগৰ কেইডাল চুলি তিতি আহি গাললৈকে লিপিট খাই পৰিছিল। চকুকেইটা পানীৰ পৰশত আৰু যেন জীপাল হৈ উঠিছিল। চকুৰ পতাৰ পৰা এটোপ দুটোপকৈ পৰি আছিল টোপালবোৰ। পাতলকৈ essentialৰ ভিতৰৰ পৰা অহা পোহৰ এটাই চুইছিল হি তাইৰ মুখখনত।

"ব'লা।" মুখ ধুই হোৱাত অনুৰণক ক'লে তাই।

"তোমাৰ ইয়াত লাগি আছে অলপ" উঁঠৰ ঠিক তলৰ ফালে আঙুলিয়াই সি ক'লে।

"কোন খিনিত?" সন্ধ্যাই খেপিয়াইও নোপোৱা দেখি অনুৰণে তাৰ হাতেৰে সন্ধ্যাৰ তলৰ উঁঠটোৰ কাষত লাগি থকা ক্ৰীম খিনি আলফুলে মোহাৰি দিলে।

পৰশ !!! কিহৰ পৰশ এয়া !! টান অথচ আলফুল। কিছু খহটা অথচ উমাল। তাৰ হাতটোও যেন কঁপিছিল তাইৰ উঁঠখনত লাগি। সন্ধ্যাৰ গাটোও যেন কঁপি গৈছিল। লাজুকী বনজুপিৰ দৰে জঁই পৰিছিল চঞ্চল সন্ধ্যা। ছেপ্তেম্বৰ মাহৰ সন্ধিয়াত যেন ডিচেম্বৰৰ কুঁৱলীৰ অনুভৱ হৈছিল। ভৰি দুখনে যেন ঠিৰতা হেৰুৱাইছে। ক'ব নোৱৰা কৈয়ে চকুৰ কোণদুটিত কৰবাৰ পৰা জমা হৈছিল এটুপি অশ্ৰু। কিয় বাৰু? বুকুখনে অহৰহ কোবাই আছে ধপধপকৈ। সজল চকুৰে অনুৰণলৈ চাইছিল তাই। সিও তাইলৈ। তাৰ হাতখন লাহে লাহে সন্ধ্যাৰ ওঁঠৰ পৰা নামি আহিছিল। কিন্তু পৰশটো? পৰশটো যেন তাতেই ৰৈ গৈছিল। উমাল, আলফুল। সঁচাই, ভাল লাগে যেতিয়া মৰমবোৰ নীৰৱ ভাষাৰে আহে। মৌনতায়োতো আঁকিব পাৰে প্ৰতিচ্ছবি ভালপোৱাৰ, হৃদয়ত তুলিব পাৰে অজান আৱেগৰ জোৱাৰ।

সিহঁত তেনেকৈয়ে ৰৈ আছিল। Essentialৰ ভিতৰত বাজি আছিল জংকী বৰঠাকুৰৰ পুৰণি বিখ্যাত গীতৰ কলি এটি,

"তুমি চালেই জানা,

তুমি চুলেই জানা,

মেঘালী সপোনে বাগৰ সলাই......."

Kaushik

(আগলৈ)

#নিৰিবিলি

Part 28

বিশেষজনৰ সান্নিধ্যত সময়বোৰৰ হিচাপ নাথাকে। সন্ধ্যা আৰু অনুৰণৰো নাছিল। ছাঁ পোহৰৰ মাজত হেৰাই গৈছিল সিহঁত কিবা অনামী অনুভৱত। অনুৰণৰ চকুত যেন সন্ধ্যাই পঢ়িছিল কিবা নোকোৱা কবিতা।

"সন্ধ্যা, আহিছনে?" অভিমন্যুৰ চিঞৰতহে জড়তা ভাঙিল সন্ধ্যাৰ। অনুৰণৰ কাষৰ পৰা প্ৰায় দৌৰি আঁতৰি আহিল তাই। তাই পলালে নেকি বাৰু? পিছে কাৰ পৰা, অনুৰণৰ পৰা নে নিজৰ অনুভৱৰ পৰা। সন্ধ্যাই বুজি নাপাই অনুৰণৰ সান্নিধ্যত তাইৰ কি হৈ যায়। কিয় সকলো চঞ্চলামি জঁয় পৰি যায়, কিয় প্ৰতিটো পল অনুপল স্তব্ধ হৈ যায়। ভাবিলেও উত্তৰ নাপাই তাই, কিন্তু এটা কথা তাই জানে যে বহু সময়লৈ ভাল লাগি থাকে। যিমান ভাল লগা সুৰ আছে সকলো যেন এটা এটাকৈ বাজিব ধৰে। এৰা, কিছুমান অনুভূতিৰ চাগে একো নাম নাথাকে, কিছুমান সম্পৰ্কৰ একো সংজ্ঞা নাথাকে। তাৰ এটাই মাত্ৰ নাম, এটাই মাত্ৰ সংজ্ঞা। সি হ'ল ভাল লগা। বুকু জুৰ পেলাই নিয়া ভাল লগা।

Essentialৰ পৰা বাহিৰে সিহঁত কেফেটেৰিয়ালৈকে গ'ল। কেফেটেৰিয়াত সোমায়েই সমুখতে অৰ্ডাৰ দি পইছা লোৱা কাউন্টাৰটো। তাৰ পৰা কুপনটো নি সোঁফালে ডাঙৰ ৰুমটোৰ লগতে থকা কিচ্ছেনটোৰ কাৰোবাক দিবগৈ লাগে। অভিমন্যুয়ে চিকেন বিৰিয়ানিৰ অৰ্ডাৰ দিলে সকলোলৈকে। ডাঙৰ ৰুমটোতে চাৰিজনীয়া টেবুলবোৰ। তাৰেই তিনিখনমান টেবুল জইন কৰি দীঘলীয়াকৈ বহিল সিহঁত। সকলোৰে মাজতে সন্ধ্যা আৰু অভিমন্যু। সন্ধ্যা অলপ দূৰলৈ প্ৰিয়াৰ লগত বহি আছিল, পিছে চবেই টানি আজুৰি অভিমন্যুৰ লগত বহাই দিছেহি। জোকোৱাবোৰতো আছেই। সন্ধ্যাৰ যেন মাজে মাজে মুখৰ ৰঙেই সলনি হৈ পৰে। সীমাই ছেলফি লোৱা পৰ্ব আৰম্ভ কৰিছিলেই। এইবোৰ বেলেগে পাহৰিলেও তাই কেতিয়াও নাপাহৰে। তেনেতে জুৰিয়ে ক'লে,

"সন্ধ্যাই গান এটা গা না, অভিমন্যুক ডেডিকেট কৰি। অৰ্ডাৰ আহিবলৈ দেৰি আছে।"

Kaushik

"আৰু কিবা, কাম যে নাই মোৰ এইটোক ডেডিকেট কৰি গান গাবলে।" মুখখন কোঁচাই তাই ক'লে। সকলোৰে হাঁহি উঠিল তাইৰ কথাত।

"ঠিক আছে, মোক লৈ নালাগে বাৰু। এনেই গা কিবা এটা।" অভিমন্যুয়ে কোৱাৰ লগে লগে গোটেই কেইটাই চিঞৰি উঠিল হুলস্থুলকৈ।

"গা না, কিনো হয়"

"তই ধুনীয়া গাৱ কাৰণেহে কৈছোঁ কিবা"

"বেছি কৰ, গা চোন কিবা এটা"

সন্ধ্যাই না না য়েই কৈ আছিল। হুলস্থুলৰ মাজতে এবাৰ অনুৰণ চকুত তাইৰ চকু পৰিল। সি সোঁফালে বেঞ্চখনৰ কিছু মূৰত বহিছিল।

"গোৱা"

শব্দটো নুশুনিলেও অনুৰণৰ মুখৰ ভংগীত গম পাইছিল সন্ধ্যাই সি সেইটোৱেই কৈছে।

"অ'কে গাইছো ৰহ।" মান্তি হ'ল তাই।

"বঢ়িয়া, এয়া মঞ্চত সন্ধ্যা ৰাগিনী বৰুৱা।" প্ৰিয়াৰ announcementৰ লগে লগেই হাত চাপৰি মাৰি উঠিল চবেই। কি যে মানে ইহঁতবোৰ। উৎপাতৰ কোবত কেফেটেৰিয়াত থকা চবেই ঘূৰি ঘূৰি চাইছে। অৱশ্যে ইয়াত সকলো এনেকুৱা। চঞ্চল যৌৱনৰ পৰশৰ পৰা সাৰি নাযায় essential, এমিনিটী নাইবা কেফেটেৰিয়া, নিৰিবিলি। অনুৰণলৈ আঁৰ চকুৰে আকৌ এবাৰ চালে সন্ধ্যাই। ক'লা ৰঙৰ স্পৰ্টিংটো পিন্ধিছে সি। তাইলৈকে চাই আছে। চকুকেইটা ইমান শান্ত কিয় তাৰ। যেন বহু কিবা কিবি কয়, অথচ একোৱেই নকয়। সন্ধ্যাই আৰম্ভ কৰিছিল তাইৰ প্ৰিয় হিন্দী গীত এটি,

"Aai Aise Raat Hai Jo

Bhahut Khushnaseeb Hai

Chahe Jise Door Se Duniya

Woh Mere Kareeb Hai

Kitna Kuch Kehna Hai

Phir Bhi Hai Dil Mein

Sawaal Kahin

Kaushik

Sapno Mein Jo Roj Kaha Hai

Woh Phir Se Kahun Ya Nahi

Ankho mei teri

Ajab si ajab si adaye he......."

শেষ হোৱাৰ লগে লগেই আকৌ হাত চাপৰি। পিছে এইবাৰ অকল সিহঁতৰ গ্রুপটোৱেই নহয়, কেফেটেৰিয়াত থকা গোটেই মানুহখিনিয়েই বজাইছিল। সন্ধ্যাৰ মৰমলগা মাতটোৱে তাত থকা সকলোকে চুই গৈছিল। সঁচাই বৰ ধুনীয়া গাই তাই।

"ৱাহ্, দেখিছতো অভিমন্যু। তোলৈ এইটো বাৰ্থডে গিফ্ট। কি ধুনীয়া গান গাইছে।" জুৰিয়ে হাঁহি হাঁহি ক'লে।

সঁচাই জানো অভিমন্যুক লৈ গানটো গাইছিল সন্ধ্যাই? নে কাৰোবাৰ এযোৰ শান্ত চকুৱে নিজে নিজেই গান গোৱাইছিল তাইক। নাজানে তাই, নুবুজে চোন একোকে। সকলোৱে যাৰ কথা কয়, সেইটোৱেই হয় চাগে। অভিমন্যুৰ বাবেই গাইছে চাগে তাই। নহ'লেনো চবেই ইমান জোকাবনে তাইক?

ইতিমধ্যে খানা আহি পাইছিল। সকলোৱে খাবলৈ ল'লে। এটা পেকিং অৰ্ডাৰ আহিল তাৰ মাজতেই।

খাই লৈ কিছু সময়ৰ পাছত ওলাই আহিল সিহঁতবোৰ। ওলাই আহোঁতেই প্ৰথমে ৰাজদ্বীপেই কথাটো উলিয়ালে,

"এতিয়া আমিবোৰ অলপ আঁতৰি দিওঁ আৰু ন? আমাৰ birthday boy য়ে অলপ private time spend কৰক।" সকলোৱে সেইটোকে মানি ল'লে।

"Exactly, ইহঁতে আমাৰ সমুখততো অকল কাজিয়াই কৰি থাকে। অকলে অকলেই অলপ মনৰ কথা পাতক।" জুৰিৰ কথাত হাঁহি আকৌ গোটেই জাকৰ। সন্ধ্যা অভিমন্যুৰ হাজাৰ অজুহাতৰ পিছতো সিহঁতক তাতে অকলে এৰি গোটেই কেইটা হোষ্টেল গ'ল।

"All the best দেই।" সীমাই চিঞৰি থৈ গ'ল। অগত্যা অভিমন্যুৰ লগত কেম্পাছৰ ভিতৰতে খোজ কাঢ়িবলৈ ল'লে সন্ধ্যাই। কেফেটেৰিয়াৰ পৰা ওলায়েই সমুখতে এটা চাৰিআলি। এফালে বাহিৰলে আৰু লাইব্ৰেৰীলৈ যোৱাৰ ৰাস্তা, এফালে পবিতৰাৰ পৰা আৰম্ভ কৰি শাৰী শাৰীকৈ কপিলী আৰু সোৱণশিৰী হোষ্টেলৰ সমুখেৰে পাৰ হৈ Essential পাইগৈ, এফালে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহৰ সমুখেৰে গৈ ফিল্ড আৰু

Kaushik

কমিউনিটী হল পাৰ হৈ পাটকাইৰ সমুখত ওলাইগৈ আৰু আনফালেৰে অৰ্থাৎ পবিতৰা ৰমেনচ হোষ্টেলৰ কাষেৰে গৈ সিহঁতৰ ডিপাৰ্টমেণ্ট মানে একাডেমিক বিল্ডিং ৰানটো পাইগৈ, য'ত সমুখত চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱন। সেইফালৰ ৰাস্তাটো কিছু এন্ধাৰ। একেবাৰেই এন্ধাৰো নহয়। পবিতৰাৰ সমুখৰ পোহৰৰ চিটিকনি এটা পৰি থাকে অৱশ্যে। ৰাস্তাটোৰে আগবাঢ়িলেই বাঁওফালে সেই পুখুৰীটো। সিহঁতৰ ডিপাৰ্টমেণ্টৰ কাষতে যে আছিল। পুখুৰীটো ডাঙৰ বাবে ইয়াৰ পৰাই আৰম্ভ হৈছে। ৰাস্তাটোৰ দুয়োকাষে শাৰী শাৰী গছ। পুখুৰীটো পোৱাৰ আগত বাঁওফালে জেনেৰেটৰ বোৰ আছে। তাত দুই এজন মানুহো বহি থাকে। সন্ধ্যাহঁত ছাঁ পোহৰৰ সেই ৰাস্তাটোৰেই আগবাঢ়িল। পেকিংটো হাতত ল'লে অভিমন্যুৱে। দুয়োটাই খোজ ল'লে পুখুৰীটোৰ কাষেৰে, গছবোৰৰ তলেৰে। জোনবাইটোৰ পোহৰে ৰূপোৱালী কৰি তুলিছিল পথটো। পুখুৰীটোৰ মাজতে জোনবাইটোৰ প্ৰতিবিম্ব। কোনোবা সময়ত পানীখিনিৰ লগতে জোনটোও কঁপি উঠে। সোঁফালৰ জংঘল খিনিৰ পৰা উফৰি আহিছিল জিলিৰ জি জি শব্দটো।

"বাকী, ক চোন, কেনেকৈ প্লেন কৰিলি বাৰ্থডেৰ?" অভিমন্যুয়েই আৰম্ভ কৰিলে। উত্তৰত সন্ধ্যাই কৈ গ'ল সীমাহঁতে কিদৰে কথাটো উলিয়াইছিল, কিদৰে তাই সিদ্ধাৰ্থ দাৰ লগত টাউনলৈ গৈ কেকৰ অৰ্ডাৰটো দিছিল সেইবোৰ। সিহঁত গৈ ডিপাৰ্টমেণ্টৰ আগেৰে নিৰিবিলি হৈ এপাক ঘূৰিলে। অভিমন্যুৱে ঘৰৰ কথাও কৈছিল। এইবাৰ প্ৰথম বাৰ সি ঘৰত নাই। যদিও সি সন্ধ্যাৰ দৰে আৱেগিক নহয়, তথাপিও কিছু মনত পৰিছিল ঘৰলৈ। এইদৰেই কথা পাতি পাতি কিছু সময়ৰ মূৰত সিহঁত সোৱণশিৰী হোষ্টেলৰ সমুখ পালেহি। কৃষ্ণচূড়া জোপাৰ তলতে ৰ'ল। সোৱণশিৰীৰ সমুখত লাইট আছে যদিও গছজোপাৰ ছাঁ পৰাৰ বাবে এইখিনি কিছু আন্ধাৰ হৈ থাকে। অভিমন্যুয়ে কিছু শান্ত স্বৰেৰে ক'লে,

"Thanks a lot সন্ধ্যা। আজি কেকটো দেখি মোৰ যিটো feel হৈছিল আজিলৈকে মোৰ তেনেকুৱা special feel হোৱা নাই। thanks for making me feel special. আৰু লগতে তোৰ গানটোৰ বাবেও।"

"Atchaa, অকল thanks য়েই দিবি নে আৰু কিবা ৰিটাৰ্ন গিফ্ট পাম মই??"

সন্ধ্যাৰ কথাৰ উত্তৰত কিছু তাইৰ কাষলৈ আগবাঢ়ি আহিল অভিমন্যু। আলফুলে সন্ধ্যাৰ মুখখন দুহাতেৰে সাৰটি লৈ তাইৰ কপালত ওঁঠেৰে স্পৰ্শ কৰিলে। এটি সৰু চুমা। কিয় জানো সন্ধ্যাৰ ঘৰলৈ মনত পৰিছিল। এনেকৈ তাইক কেতিয়াবা

kaushik

দেউতাকেও মৰম কৰে। কেতিয়াবা বৰদেউতাকৰ ল'ৰা বাবু দাৰ লগত তাই কাজিয়া লগাৰ পাছত সি এনেকৈ কপালত চুমা এটা খাইয়েই তাইক মনাই লয়। সন্ধ্যাৰ নিজৰ ককায়েক নাই যদিও বাবু দায়েই নিজৰ দৰে মৰম কৰে তাইক। অভিমন্যুৰ চুমাটোত কিয় জানো বাবু দালৈ মনত পৰিল তাইৰ। এইবাৰ ঘৰলৈ যাওঁতে তাক নাপালে তাই। সিও MA ৰ কাৰণে কটনত ছিট পাই তালৈ গ'ল পঢ়িবলৈ। কেতিয়া যে লগ পাব সিহঁত দুটাই আকৌ। কিমান যে কথা আছে বাবু দাক ক'বলৈ।

"সদায় এনেকৈয়ে থাকিবি হা মোৰ লগত।" অভিমন্যুৰ কথাত বাস্তৱলৈ ঘূৰি আহিল সন্ধ্যা। সি তাইৰ হাতখন মুঠি মাৰি ধৰি কৈছিল। কথাষাৰ কৈয়ে সন্ধ্যাক তাতে এৰি নিজৰ হোষ্টেলৰ ফালে খোজ ল'লে সি। সন্ধ্যা কিছু আচৰিত হৈ গৈছিল তাৰ ব্যৱহাৰত। অনবৰতে ফটুৱামি কৰি থকা ই ইমান ছিৰিয়াছ কেতিয়াৰ পৰা হ'ল? ইমান মৰম লাগিল নে আজি এখেতৰ। তাৰ পাছতে তাইৰ হাঁহি উঠিল। বেছি ফটুৱামি কৰি থকা মানুহবোৰ ছিৰিয়াছ হ'লেও হাঁহিয়েই উঠে। কেতিয়াবা ধেমালিও ছিৰিয়াছ হয়, আৰু কেতিয়াবা ছিৰিয়াছ কথাও ধেমালিতে ৰয়। হাঁহি হাঁহিয়েই অভিমন্যুক চিঞৰিলে তাই,

"ঐ, এই গিফ্টটোৰ কথা ক্লাছত ক'ম নে নাই?"

"ক'বি ক'বি, যাক যাক লাগে মোৰ ওচৰত আহিব দিবি। ইয়াতকেও heavy টো দিম।"

হাঁহিত আকৌ ফাটি পৰিল সন্ধ্যা। ছিহ্, এনে অসভ্য এইডাল। ফটুৱা ক'ৰবাৰ। হাঁহি হাঁহিয়েই হোষ্টেলৰ ৰুমত সোমালগৈ তাই।

"কি হে সন্ধ্যা? ইমান হাঁহি যে?" বিদিশাৰ প্ৰশ্নৰ উত্তৰত চমুকৈ ঘটনাটো ক'লে সন্ধ্যাই। কথাটো বেলেগক তাই নক'লে হয়, কিন্তু ইউনিভাৰ্চিটী জীৱনত ৰুমমেট যে সকলো কথাৰে অপ্ৰতিৰোধ্য দাবীদাৰ। দিনটোত কি কি হ'ল নহ'ল ঘৰত নক'লোৱেও ৰুমমেটক যে ক'বই লাগিব। তুমি যদি দিনটোৰ ঘটনা ৰুমমেটৰ লগত বহি লৈ এটা এটাকৈ আলোচনা কৰি পোৱা নাই, তেন্তে তুমি কিহৰ ৰুমমেট হে? সন্ধ্যাইও ক'লে। কেক কটাৰ পৰা কেফেটেৰিয়াত গান গোৱা, অভিমন্যুৰ লগত খোজকঢ়াৰ পৰা শেষৰ চুমাটোলৈকে। অৱশ্যে তাৰ মাজতো কিবা এটা যেন বাদ পৰিল। থাকক। কৈছোৱেতো, কিছুমান থকা বুকুতে লৈ থাকিয়েই ভাল লাগে। অভিমন্যুৱে সন্ধ্যাক চুমা খোৱাৰ কথা শুনাৰ লগে লগে বিদিশা যেন নষ্টালজিক হৈ পৰিল। তাইৰ প্ৰেমিক কৰা সৌৰভে প্ৰথম স্পৰ্শ আৰু চুম্বনৰ কাহিনী ক'বলৈ লাগি গ'ল।

Kaushik

"তুমি নুবুজিবা সন্ধ্যা মোৰ কেনেকুৰা লাগিছিল, pao se zameen fisal gayi thi, asmaan mei udhne lagi thi. গোটেই গাতো ইমান ঠাণ্ডা লাগিছিল যে কঁপনি উঠি গৈছিল। কোৱা না সন্ধ্যা, অভিমন্যুৰ প্ৰথম চুমাটোত তোমাৰো এনেকুৰাই লাগিছিল নে?"

বিদিশাৰ প্ৰশ্নত কিছু থতমত খাইছিল সন্ধ্যাই। ৰৈ গৈছিল তাই এক মূহুৰ্তৰ বাবে। হৈছিল, বিদিশাই কোৱা সকলো অনুভৱেই সন্ধ্যাৰো হৈছিল। কিন্তু অভিমন্যুৰ চুমাৰ বাবে নহয়, হৈছিল অনুৰণ হাতৰ সেই আলফুল স্পৰ্শত। কেনেকৈ বুজায় তাই বিদিশাক যে অভিমন্যুৰ ওঁঠৰ স্পৰ্শতকৈ অনুৰণৰ হাতৰ পৰশেহে বেছিকৈ কঁপাইছিল তাইক। অভিৰ ক্ষেত্ৰততো তাইৰ একো অনুভৱেই হোৱা নাছিল। অঁ, ঘৰলৈ মনত পৰিছিল। বাবু দাৰ কথা মনলৈ আহিছিল। পাছত হাঁহি উঠিছিল এইটোৰ কি হ'ল বুলি। ইমান ফটুৰামি কৰি থকা ল'ৰাটোৰ ছিৰিয়াছ কথাত হাঁহি উঠিছিল তাইৰ। কিন্তু....

"কোৱা না হৈছিল নে তোমাৰো same?" সন্ধ্যাৰ ভাবত যতি পেলাই আকৌ বিদিশাই সুধিলে।

"উম, হৈছিল" বুলি মিছা মাতিলে সন্ধ্যাই। নাই, তাই নকয় অনুৰণৰ কথা। ক'ব খুজিলেও চোন ক'ব নোৱাৰে।

"Eiiisshh.. তেন্তে খাটাং, তুমিও প্ৰেমত পৰিলা সন্ধ্যা ৰাগিণী। একদম প্ৰেম সাগৰত প্ৰথম খোজ এইয়া। কাৰোবাৰ পৰশত যদি এইখিনি হৈছে, তেন্তে প্ৰেমৰ যাত্ৰাৰ আৰম্ভণি তোমাৰ।" হাঁহি হাঁহি কোৱা বিদিশাৰ কথাত উচপ খাই উঠিল সন্ধ্যা।

সন্ধ্যাক সোৱণশিৰীত থৈ অভিমন্যু পাটকাই পালেগৈ। বাহিৰেই ময়ূঁৰৰ ৰুমত সোমাল সি। লাইটটো অফ, বিচনাত চকু মুদি পৰি আছে ময়ূঁৰ। স্পীকাৰত পাতলকৈ বাজি আছে গান এটা,

"চুৰে বা নুচুৰে নিয়ঁৰে শেৱালি পাহিটি শৰতে শৰতে,

নাচে বা নানাচে জোনাকী ৰৈ

তুমি সোণ নাচিবা মোৰে হিয়াতে ৰৈ

আহে বা নাহে ঘুমটি আহিবা ৰাতি......."

Kaushik

অনবৰতে জুবিনৰ গানৰ মাজতে সোমাই থাকে ই। কিয় জানো ল'ৰাটো সকলোৰে পৰা আঁতৰি থাকে। অভিমন্যুৰ অনুভৱ হয়, উপন্যাস পঢ়ি ভাল পোৱা ল'ৰাটোৱে বুকুৰ মাজতে যেন কঢ়িয়াই ফুৰিছে এখনি জীয়া উপন্যাস। কোনেও নুবুজাকৈ, কোনেও নেদেখাকৈ।

"ঐ ময়ূঁৰ, উঠচোন।" তাৰ গাটোত ধৰি জোকাৰি দিলে অভিমন্যুয়ে। সি সাৰ পাই উঠিল।

"অভি, কেতিয়া আহিলি তই। বহ।" টোপনিভৰা মাতেৰেই ক'লে সি।

"তই কিয় নগলি কচোন। মোৰ বাৰ্থডেত তো যাব পাৰ এট লিষ্ট।" অভিমন্যুয়ে তাৰ কাষতে বহি ক'লে।

"তই চোন জানই। এইবোৰ পাৰ্টী, চিঞৰ বাখৰ মোৰ ভাল নালাগে। আৰু তোৰ বাৰ্থডেত গৈ হেপ্পী বাৰ্থডে চিঞৰিলেহে তোক শুভেচ্ছা দিয়া হ'ব নেকি?" শান্ত মাতেৰে কৈ গৈছিল সি।

"জানো জানো প্ৰভু। সেই কাৰণেই লৈ আহিছিলোঁ তোলে। বিৰিয়ানি আছে। খা।" পেক কৰা টোপোলাটো আগবঢ়াই দিলে ময়ূঁৰলৈ।

"ফুল প্লেট আনিছতো? হাফ দি মোৰ পেটেই নভৰিব।"

"খকুৱা, ফুল প্লেটেই আনিছোঁ। খাই ল" হাঁহি হাঁহি কথাকেইটা কৈ ওলাই অভিমন্যু।

ৰাতি শুবলৈ লৈও টোপনি অহা নাই সন্ধ্যাৰ। অথনি বিদিশাই কোৱা কথাখিনিয়ে মনলৈ আহি আছে। কিয় এনে হৈছে। ক্লাছৰ সকলোৱে অভিৰ কথা কৈ তাইক জোকায়, বিদিশাৰ লগতে হোষ্টেলৰো বহুতেও তাইক অভিমন্যুৰ লগত জোকাই, তাই নিজেওতো অভিমন্যুয়ে বেলেগৰ কথা ক'লে জ্বলে, তেন্তে অনুৰণৰ সান্নিধ্যত এনে অনুভূতি কিয়? যাৰ কথা কৈ তাইক সকলোৱে জোৰা দিয়ে, যাৰ লগতেই ক্লাছৰ পৰা সন্ধিয়ালৈকে বেছি সময় পাৰ কৰে, তাৰ পৰশত তাইৰ ঘৰৰ ককায়েকলৈ কিয় মনত পৰিল? আৰু যাৰ লগত তাই সমুখত আজিলৈকে ভালকৈ এষাৰ কথাও পাতি পোৱা নাই, মাত্ৰ মেচেজত হে পাতিছে, তাৰ মাত্ৰ হাতৰ পৰশত তাই কিয় কঁপি উঠিছিল? ইমানবোৰ মানুহে কি তাইক এনেই জোকাই নে? কিবা আছে কাৰণেইতো জোকাই। আজিতো তাই বিদিশাক ফাঁকি দিলে, কিন্তু নিজক দিব পাৰিছে জানো?? আচলতে

Kaushik

কোনটো সঁচা? তাইৰ চাৰিওফালৰ পৃথিৰীৰ চাক্ষুষ অনুমান নে তাইৰ অন্তৰৰ পৰা অহা স্বতৰ্স্ফুত অনুভৱ? অনুভৱে অনুমানক হৰোৱাব পাৰিব নে? সঁচা মিছাৰ দোমোজাত সন্ধ্যা যেন বাট হেৰোৱা পক্ষী।

(আগলৈ)

#নিৰিবিলি

Part 29

ছেমিষ্টাৰ ব্যৱস্থাত সময় কেনি যায় গমেই পোৱা নাযায়। লাহে লাহে সময় পাৰ হৈ mid term পালেহি। আচৰিত লাগে সন্ধ্যাৰ, TU ৰ ইমান ধুনীয়া প্ৰাণ চঞ্চল পৰিৱেশটো এই পৰীক্ষাৰ কেইদিনত কেনেকৈ যে ইমান গহীন হৈ পৰে। খালী হৈ যায় essential, উকা হৈ ৰয় এমিনিটী, নিশব্দ হৈ বহি থাকে পুলবোৰ। ৰাতি ২ টা ৩ টা লৈকে চিঞৰ ভাঁহি অহা ফিল্ডখনৰ লাইটবোৰো ৮/৯ বজাতেই বন্ধ হৈ যায়। সেই কেইদিন যেন বতাহজাকো নবলে। সৰাপাতবোৰো যেন নিশব্দে সৰে। ৰাতি দেৰি লৈকে জমি নুঠে হোষ্টেলৰ আড্ডাবোৰ। মুঠতে এক আচৰিত নিস্তব্ধতা। যেন কইনা উলিয়াই দিয়াৰ পাছৰ ঘৰ খনহে। এইবোৰৰ মাজতে মাত্ৰ এটাই ঠাই য'ত ল'ৰা- ছোৱালীয়ে গিজ-গিজাই থাকে, সেয়াই হ'ল লাইব্ৰেৰী। পৰীক্ষা নাথাকিলে লাইব্ৰেৰীৰ ফালে ঘূৰিও নোচোৱা জনেও সেই কেইদিন লাইব্ৰেৰী যাবই । কত কাহিনী লাইব্ৰেৰীতেই আৰম্ভ হয়। mid term হোৱাৰ আগত অৱশ্যে কেইদিনমান বন্ধও দিছিল। study leave হিচাপে। সেই কেইদিন যেন কাৰো উশাহ ল'বৰ সময় নাই। কেৱল পঢ়া আৰু পঢ়া। মানুহবোৰৰ ইমান seriousness দেখি সন্ধ্যাৰ কোনোবা সময়ত ভয়েই লাগে। পাৰিবনে বাৰু তাই, টিকি থাকিব পাৰিবনে এই প্ৰতিযোগিতাৰ দৌৰত? ৰাতিপুৱা ৯ টাৰ পৰাই তাই লাইব্ৰেৰীতে থাকে। লগত অভিমন্যু। কেতিয়াবা ৰাজদীপ আৰু আৰিফ। অনুৰণো আহে মাজে মাজে। কিন্তু সি সদায় নাথাকে। সন্ধ্যা আচৰিত হয়, তাৰ পঢ়াৰ style দেখিলে। খুউব শান্ত হৈ এনেকৈ পঢ়ি যায় যেন কিবা ভাল লগা উপন্যাসহে পঢ়িছে। সন্ধ্যাৰ আকৌ খৰ-খেদা লাগে, এটা topic পঢ়ি থাকোতে আকৌ বেলেগ এটা মেলে। কত বোৰ যে syllabus দিছে। বিশেষকৈ সেই history part খন যে। কেনেকৈ মনত ৰখাই জানো। অৱশ্যে তাইতকৈয়ো অভিমন্যুৰ পেপাৰ আৰু বেছি। সি BA BEd ৰ বাবে। TU ত এইবাৰ প্ৰথমবাৰৰ বাবে BA BEd খুলিছে। অভিমন্যুহঁতেই first batch। সেইবাবেই কিছু খেলি-মেলিও হৈছে বাৰু। যেনে সেইদিনা সিহঁতৰ BEd ৰ পেপাৰ এখনৰ লগত BA ৰ

Kaushik

পেপাৰ এখন একেলগে পৰিল। অভিমন্যু আৰু তাৰ BEdৰ লগৰ নেহা, মেঘালী আৰু জ্যোতিপৰ্ণহঁতে এবাৰ HOD, এবাৰ COE, আকৌ HoDৰ ওচৰলৈ কমখন দৌৰা- দৌৰি কৰিব লগা হৈছিলনে? শেষত যেনিবা মিলি গ'ল। সিহঁতৰ তুলনাত সন্ধ্যাহঁতৰ কিছু সুবিধায়ে বাৰু। Integrated MA হোৱাৰ বাবে ৰুটিনৰ বিশেষ খেলি-মেলি নহয় সিহঁতৰ।

Exam আৰম্ভ হ'বলৈ বেছি দিন নাই। কাইলৈ শনিবাৰ। অহা সোমবাৰৰ পৰাই exam। ৰাতিপুৱাই অভিমন্যুৰ লগত লাইব্ৰেৰী লৈ আহিল সন্ধ্যা। এইকেইদিন মেজৰৰ পেপাৰবোৰ পঢ়োতে তাইৰ অসমীয়াৰ MIL পেপাৰ খন পঢ়াই হোৱা নাছিল। সেইখন মেলি ল'লে। জোনাকী যুগ, ৰামধেনু যুগৰ কথা আছিল। সন্ধ্যাৰ ভাল লাগে এইবোৰ। পঢ়ি পঢ়ি সন্ধ্যা মাজে মাজে আগফালে ওলাই আহে। লাইব্ৰেৰীৰ সমুখৰ সেউজীয়াবোৰ চাই যেন কিবা জুৰ পৰি যায়। লাইব্ৰেৰীৰ বাৰান্দাখনৰ পৰাই দেখি ওখ ওখ পাইন গছবোৰ। কাষতেই দালিয়া, নাৰ্জী আদি সৰু সৰু ফুলৰ গছবোৰ। দুই এজোপা সোণাৰু। পঢ়াৰ মাজতে অলপ সময় এইবোৰ চাই, ফটো উঠায়েই ভাল লাগে সন্ধ্যাৰ। তাতে এতিয়া ৰ'দত যেন আৰু জিলিকি উঠিছে ৰংবোৰ। সেউজীয়াৰ মাজে মাজে হালধীয়া, ৰঙা। উফৰি আহিছে বকুলজোপাৰ গোন্ধটো। অলপ সময় বাহিৰত ৰৈ সন্ধ্যা আকৌ ৰিডিং ৰুম পালেগৈ। তাইৰ কাষতেই অভি বহি আছিল। সিহঁতৰ সমুখৰ শাৰী দুটা পাৰ হৈয়ে তাইৰ মুখামুখিকৈ অনুৰণ। সিও আজি দুপৰীয়াই আহিল। কিছু দূৰত বহিছে যদিও সমুখত হোৱাৰ বাবে মূৰ তুলিয়েই দেখে তাক। কেইবাবাৰো চকুৱে চকুৱে পৰিছিল। তাইৰ আগতে সিয়ে তলমূৰ কৰে। তাৰ লাজ দেখি হাঁহি উঠে সন্ধ্যাৰ। অভিমন্যুক নেদেখি সন্ধ্যাই প্ৰশ্নবোধক দৃষ্টিৰে অনুৰণলৈ চালে। সিও বুজি পাইছিল, ৰুমটোৰ মূৰৰ চুকটোলৈ আঙুলিয়াই দেখুৱালে। সন্ধ্যাই সেইফালে চাই দেখে কোনোবা ছোৱালী এজনীৰ লগত ফুচফুচাই কথা পতাত ব্যস্ত অভিমন্যু। টিঙিচকৈ উঠি আহিল তাইৰ খংটো। গপগপাই সিহঁতৰ ওচৰ পালেগৈ। অভিমন্যুৰ খঙত সন্ধ্যাই মন কৰা নাছিল পঢ়ি থকা কিতাপখন লুটিয়াই কেন্টিনৰ ফালে ওলাই যোৱা অনুৰণক।

"অভি, মোক বস্তু এটা বুজাই দে হি চোন।" তালৈ চাই ক'লে তাই।

"গৈ আছোঁ।" যেন তাইৰ গুৰুত্বয়েই নাই। তাইলৈ চোৱাও নাই সি। সমুখৰ চকীখন জোৰকৈ ঠেলা মাৰি গুছি আহিল তাই। শব্দটোত ৰুমত থকা বহুকেইজনে মূৰ তুলি চালে। অভিমন্যুয়ে তেতিয়া হে অনুভৱ কৰিলে কথা যে গহীন। ছোৱালীজনীক তাতে এৰি সন্ধ্যাৰ কাষ পালেহি সি।

Kaushik

"ঐ, তাই নিজে মাতিছিল। সেই কাৰণেহে। আগৰে চিনাকি মানে, আমাৰ গোলাঘাটৰে।" যিমান পাৰি মাতটো সৰু কৰি অভিমন্যুয়ে ক'লে।

"হওঁক দে, লাইব্ৰেৰীত মিতিৰ বিচাৰিবলে হে আহিছ। অলপ সময়ৰ বাবে উঠি গৈছিলোঁ হে। চেনিৰ বৈয়াম খুলি ল'লেই।" মুখখন এপাচি মান হ'ল তাইৰ।

"উস ৰাম, নাই খোৱা অ' মই চেনি। কোহলীৰ শপত, জাষ্ট কথা পাতিছিলোঁ নৰ্মেলী।" তাৰ স্পষ্টীকৰণ।

"সঁচা তো?" তাইৰ যেন বিশ্বাস হোৱাই নাই।

"সঁচা অ'। তই লগত থাকোঁতে বেলেগলে চকু যাব নে মোৰ?" সন্ধ্যাৰ ফুলি থকা গালখনত মিহিকৈ চিকুট এটা মাৰি অভিমন্যুৱে ক'লে।

খংটো হাঁহিলৈ সলনি হৈ গ'ল সন্ধ্যাৰ। ডিম্পল পৰা গাল দুখনেৰে হাঁহিলে সঁচাই বৰ মৰম লাগে তাইক।

"গুড। এতিয়া মোক চকলেট এটা আনি দে না।" পঢ়াৰ মাজে মাজে চকলেট খাই থকাটো সন্ধ্যাৰ নিয়ম। তাইৰ পঢ়াবোৰ তেতিয়াহে মূৰত সোমাই হেনো। নহ'লে টোপনি ধৰে।

"No, no. চাঞ্চ নল'বি। নোৱাৰো মই দিব।" বুলি কিতাপ মেলিলে সি। একদম চিকটা মানে এই ল'ৰাটো। তাইও বেছি জোৰ নকৰি পঢ়াত মন দিলে। এবাৰ অনুৰণৰ ফালে চাইছিল। সি নাই। বাহিৰলে গৈছে হয়তো। অলপ সময়ৰ পাছত অভিমন্যু উঠি গ'ল। পঢ়াত ব্যস্ত হৈ থকাৰ বাবে সন্ধ্যাইও নুসুধিলে ক'লৈ যায়। অনুৰণো অহাই নাই।

অভিমন্যু কেন্টিন পালেগৈ। লাইব্ৰেৰীটোত সোমায়েই সোঁফালে সৰু ৰুম এটাতে কেন্টিন খন। কফি খাবলৈ ছিকিউৰিটীৰ পৰা কুপন লৈ যাব লাগে। মানুহৰ সংখ্যা অনুযায়ী বৰ সৰু কেন্টিনখন। বিশেষকৈ এই পৰীক্ষাৰ দিনবোৰত আৰু সমস্যা হয়। অভিমন্যুয়ে কাৰোবাৰ মুখত শুনিছিল অলপ ডাঙৰকৈ বনাব হেনো কেন্টিনখন। পিছে সময় লাগিব অলপ। কেন্টিনত সোমাওঁতেই অনুৰণক দেখিলে। তাৰ হাতত বিছ টকাৰ দীঘল কেডবেৰী চকলেটটো। অভিমন্যু আচৰিত হৈছিল। চকলেটৰ নামেই নুশুনা অনুৰণৰ হাতত সেইটো দেখি। চকলেটতো বাদেই, মৰ্টন খাইও বেয়া পাই সি।

"অনুৰণ, চকলেট ল'লা যে। খাব লৈছা নেকি আজিকালি।" হাঁহি মাৰি অভিমন্যুয়ে সুধিলে।

Kaushik

"অহ্, নাই। এনেই। মানে বিছ টকা খুচুৰা নাছিল। সেই কাৰণে। নাখাওঁ এনেও মই এইবোৰ।" সি অলপ থতমত খাইছিল যদিও অভিমন্যুৱে ধৰিব নোৱাৰিলে।

"তেন্তে ভালেই হ'ল। এইজনীয়ে চকলেট লাগে বুলি অথনিৰে পৰা থেনথেনাই আছে। এইটোকে দিয়া না। মই নিকিনো আৰু।" চকলেটটো বিচাৰি হাতখন আগবঢ়াই অভিমন্যুয়ে ক'লে।

"এইজনী, মানে সন্ধ্যা?" অনুৰণে আগবঢ়াই দিলে কেডবেৰীটো।

"অঁ, তাইয়েই। কেঁচুৱায়েই হৈ আছে তাই। এইটো দিলেহে যদি পঢ়ে ভালকৈ।" কথাখিনি কৈ চকলেটটো লৈ আকৌ ৰিডিং ৰুমৰ ফালে খোজ ল'লে অভিমন্যুয়ে। অনুৰণ ৰৈ গ'ল তাতে। কেন্টিনৰ দোকানীজনে তালৈ চাই প্ৰশ্নবোধক চাঁৱনিৰে ক'লে,

"দাদা, খুচুৰা আছিলতো। আপুনি চকলেট খোজা কাৰণেহে।"

"নাই, একো নাই। কফি একাপ দিবচোন।"

কফিৰ কাপটোত চুমুক দি লাহে লাহে কেন্টিনৰ পৰা ওলাই অনুৰণলৈ বুজা নুবুজাৰ ভাৱেৰে চাই ৰ'ল দোকানীজনে।

"এইটো ল।" কেডবেৰীটো সন্ধ্যাৰ কিতাপখনৰ ওপৰত দলিয়াই চকীত বহিল অভিমন্যু।

"ৱাহ, তই সঁচাকৈ আনিলি?" মুখখন জিলিকি উঠিছিল তাইৰ। সি নিদিয়ে বুলি জানিও এনেই কৈছিল তাই অথনি। কিন্তু সি যে সঁচাই আনি দিব ভবা নাছিল। তাইৰ প্ৰতিটো আব্দাৰ এনেকৈয়ে পূৰাই সি। প্ৰতিটো অভিমানো ভাঙি যায়। চকলেটটোত কামোৰটো মাৰোঁতে ক'ব নোৱাৰাকৈয়ে হাঁহিটো বিৰিঙিছিল সন্ধ্যাৰ মুখত। খাই থাকোঁতেই দেখিলে দুৱাৰেদি অনুৰণ সোমাই আহিছে। তাক দেখি হাঁহি উঠিল তাইৰ। মুখত তাৰ কফিৰ দাগ। অনুৰণৰ বগাকৈ মুখখনত কিছু পাতলকৈ দাড়ি আছে। গোঁফত বৰ বেছি দাড়ি নাই যদিও থুঁতৰিটোত গোট খাই আছে দাড়িয়ে। দুইখন গালতো অলপ অলপ। মাজে মাজে কাটি থাকে। সৰু ল'ৰাই গাখীৰ খালে ওঁঠৰ ওপৰত দাগ থাকি যোৱাৰ দৰে তাৰো নাকৰ ঠিক তলতে কফিৰ চামনি পৰি ৰৈছে। সন্ধ্যাৰ চকুৰে চকুৰে পৰাত তাই মুখলৈ আঙুলিয়াই দেখুৱালে। সি বুজি পোৱা নাই। চেলাউৰি কেই ডাল ওপৰলৈ দাঙি প্ৰশ্ন সোধাৰ ইংগিত দিলে সি। তাই এইবাৰ আঙুলি নিজৰ ওঁঠৰ ফালে কৰি এপাক ঘূৰাই দেখুৱালে। তেতিয়াহে বুজি পাই মুখখন মচিলে সি।

Kaushik

মুখখন খৰকৈ মচাৰ ভাঁজ দেখি হাঁহি উঠিছিল সন্ধ্যাৰ। সৰু ল'ৰাৰ দৰে লাগি গ'ল তাইৰ অনুৰণক। শব্দ নোলাবৰ বাবে মুখখনত হাত দি হঁহা সন্ধ্যাৰ মুখলৈ উৰি আহিছিল চঞ্চল চুলি কেইডাল। চকীত বহি তাইলৈ চাই তাৰ শান্ত হাঁহিটো মাৰিছিল অনুৰণে। হাঁহিত চঞ্চল হৈ পৰা সন্ধ্যাৰ চকুকেইটালৈ কিছু সময় চাই ৰৈছিল সি। সঁচাই, হাঁহিটোৱেই চাগে এজনী ছোৱালীৰ শ্ৰেষ্ঠ অলংকাৰ আৰু চকুৱেই শ্ৰেষ্ঠ ভাষা।

পঢ়ি থাকোতে সময় কিমান গ'ল গমকে নাপালে সিহঁতে। ঠিক ১২ টা বাজিছিল হ'বলা, অভিমন্যুয়ে এবাৰ ক'লে, "যাওঁ ব'ল, ভাত খাই অলপ rest লৈ আহিম"। ঠিকেই, সন্ধ্যাৰো মূৰটো বিষাইছে অলপ। অভিয়ে অনুৰণকো লগ ধৰিছিল। সি অলপ সময় থাকোঁ বুলি ক'লে। সন্ধিয়া সি লাইব্ৰেৰীলৈ নাহে। সেইকাৰণে দিনতে অলপ সময় বেছিকৈ পঢ়ে। অনুৰণক "যাওঁ" বুলি কৈ ওলাই আহিল সি। কিতাপ সামৰি সন্ধ্যাইয়ো বাহিৰলৈ ওলাল। বেগটো লৈ security desk খনত sign টো কৰোতেই বাহিৰত অভিমন্যুৰ চিঞৰটো, "ঐ, মোৰ চাইকেল খন নাই যে"

"ঐ গৰু, এইটো লাইব্ৰেৰী হয়। এনেকে চিঞৰিছ কেলৈ?" তাৰ ওচৰ চাপি তাই ক'লে।

"মোৰ চাইকেল খন কোনোবাই চোৰ কৰিলে বে", সি ইফালে সিফালে চাই ক'লে।

"কোনে চোৰ কৰিবনো? আছে ইয়াতেই, চা ভালকে।" এইবুলি কৈ সন্ধ্যায়ো তাৰ লগত বিচাৰিবলৈ লাগিল, কিন্তু নাই চাইকেল নাই যি নায়েই।

"গ'ল অ' মোৰ চাইকেল খন" বুলি খোজ কাঢ়িয়ে আহিবলৈ ল'লে অভিমন্যু আৰু সন্ধ্যা। TU ত এইটো অৱশ্যে নতুন কথা নহয়। মালিকৰ বিনা অনুমতিত চাইকেলৰ আমদানি-ৰপ্তানি চলিয়ে থাকে মাজে মাজে। মাজতে সেইদিনা সন্ধ্যাহঁতৰ হোষ্টেলৰ দীপা বাৰো চাইকেল চোৰ হ'ল। গোটেইখন মূৰৰ ওপৰত উঠাই লৈছিল বায়ে। কিন্তু নাই, চাইকেল নাই যি নায়েই আৰু। উপায় নাপাই খোজ কাঢ়িয়ে হোষ্টেল আহিল সিহঁত। গোটেই বাটটো অভিমন্যুয়ে চোৰটোকে গালি পাৰি পাৰি আহিছিল।

হোষ্টেল পাই বাহিৰে ময়ূঁৰৰ ৰুম পালেগৈ সি।

"জাননে, মোৰ চাইকেল খন কোনোবাই চোৰ কৰিলে।"

Kaushik

কিতাপ এখন হাতত লৈ বিচনাত পৰি আছিল ময়ূঁৰ। অভিমন্যুক দেখি উঠি ক'লে,

"ক'ত থৈছিলিনো?"

"লাইব্ৰেৰীত। কোনে যে নিলে চালা।" তাৰ খং মাৰ যোৱাই নাই।

"হ'ব দে। পাবলগীয়া থাকিলে পাই যাবি।" বুলি আকৌ কিতাপখনলৈ চকু নিলে ময়ূঁৰে। অভিমন্যুয়ে চালে, কিবা উপন্যাস। পৰীক্ষা পালেহি, ইয়াৰ এতিয়াও এইবোৰ সামৰিবলে হোৱা নাই।

"তই এইবোৰ পঢ়ি আছ যে? পৰীক্ষা যে পাইছেহি গম পাইছ নাই? বন্ধ কৰ চোন এইখন।" তালৈ চাই খঙেৰে ক'লে।

"পঢ়িম ৰ, এইখন অলপহে..." তাৰ কথা কৈ নহওঁতেই আকৌ অভিমন্যুয়ে কৈ উঠিল,

"ৰ নহয় ময়ূঁৰ। উঠ। মই নোটছ বনাই আনিছোঁ অলপ। ভাত খাই আহি পঢ়াই দিম তোক। ক্লাছততো মনেই নিদিয়, এতিয়া examৰ টাইমতো এইবোৰ অকল। ব'ল। সোনকালে ভাত খাই ল। তাৰ পিছত পঢ়াই দিম মই।"

বাধ্য ছাত্ৰৰ দৰে উঠি গ'ল ময়ূঁৰ। সন্ধ্যাৰ দৰে সিও অসমীয়া মাধ্যমৰ ছাত্ৰ। কিন্তু পাৰ্থক্যটো হ'ল সি অলপো চেষ্টাই নকৰে। যেন ঘৰৰ পৰা পঠাইছে কাৰণেহে ক্লাছকেইটা কৰি আছে। অভিমন্যুয়ে জোৰ কৰি পঢ়াই তাক। আজিও ভাতকেইটা খাইয়েই দুঘন্টা মান তাক পঢ়ালে। মাজতে সি বাহানাও মাৰিছিল,

"অভি, হৈ যাব আজিলে। অলপ শোঁ দে না।"

"নহ'ব। এইখন পেপাৰৰ ছিলেবাছ কম্প্লিট কৰিব লাগিব আজি।" অভিমন্যুয়ে জোৰ কৰি সেইখিনি পঢ়াইছিল তাক। কাৰণ সি জানে, নিজে পঢ়াতকৈও বেলেগে পঢ়াই দিলে বেছি ভালদৰে পাৰে ময়ূঁৰে। সেইবাবে পৰীক্ষাৰ কেইদিন ময়ূঁৰৰ টিউচন মাষ্টৰেই হৈ যায় সি।

অভিমন্যুৰ ভাগ্য ভাল আছিল। আবেলি আকৌ লাইব্ৰেৰী আহিল সিহঁত। আহোতেও বাটত চাইকেল খনৰ কথাই পাতি আহিছিল। কোনে যে লৈ গ'ল।

ৰাতি লাইব্ৰেৰীত আৰু ভিৰ হয়। অভি আৰু সন্ধ্যাই একেলগত ছিট নাপাই কিছু আঁতৰে আঁতৰে বহিলে। পঢ়ি থকাৰ মাজত হঠাৎ এবাৰ কাৰেণ্ট যোৱাত উচপ খাই

Kaushik

উঠিল সন্ধ্যাই। এন্ধাৰলৈ তাইৰ সৰুৰে পৰাই খুব ভয় লাগে। হোষ্টেলতো কেতিয়াবা কাৰেণ্ট গ'লে একেজাপে বিদিশাৰ বিচনাত উঠেগৈ তাই। ইউনিভাৰ্চিটী জীৱনে বহু ভয়ক সন্মুখীন হ'বলৈ শিকাই দিয়ে সঁচাকৈ। বাহিৰে একো প্ৰতিক্ৰিয়া নিদিলেওঁ ভিতৰি কঁপি আছিল সন্ধ্যা। এই এন্ধাৰবোৰক দৈত্য এটাৰ দৰে লাগে তাইৰ। খন্তেকতে যে নোহোৱা কৰি দিয়ে ৰংবোৰ। এনেতে তাইৰ কান্ধত কাৰোবাৰ হাত। আকৌ উচপ খাই উঠিল তাই।

"ঐ পাগলী, ভয় খাইছ নেকি? মই আছোঁ দে লগতে।" তাইৰ কাণৰ কাষলৈ তাৰ মুখখন আনি ফুচফুচাই কৈছিল অভিমন্যুয়ে। তাই ভয় খাব বুলি জানিয়েই সি এন্ধাৰতে উঠি আহিল। সকাহ, এক ডাঙৰ সকাহ পালে সন্ধ্যাই। ঘৰতো এনেকুৱা হয় আগতে। কাৰেণ্ট গ'লেই হয় দেউতাক নহ'লে ককায়েকহঁতে আহি তাইৰ ওচৰ পাইহি। এতিয়া ডাঙৰ হোৱাৰ পাছত বহুখিনি কমিল বাৰু। তথাপি কিছুমান বস্তুক বয়সৰ আঁচলেৰে ঢাকি ৰাখিবহে পাৰি ; নোহোৱা কৰি দিব নোৱাৰি। অলপ সময়ৰ পাছতে কাৰেণ্ট অহাত তাইক "ভয় পাদুৰী" বুলি জোকাই অভিমন্যু নিজৰ ঠাইলৈ গ'ল। ভাল লাগিছিল সন্ধ্যাৰ। ঘৰৰ পৰা আঁতৰত থাকিও এই আপোনতা খিনিতেই পৰিয়ালৰ মৰমবোৰ বিচাৰি পাই তাই।

Kaushik

ৰাতি ৯ টা মানত পঢ়া সামৰি হোষ্টেল যাবলৈ বাহিৰ আহোতেই সন্ধ্যাৰ চকুত পৰিল ওখ সোণাৰুজোপাৰ তলতে সেউজীয়া চাইকেল খন,

"অভি, সেইখন তোৰ চাইকেল খন নেকি বাৰু?" গছজোপাৰ ফালে আঙুলিয়াই তাই সুধিলে।

"অ', হয় বে" বুলি লৰি গ'ল সি। হয়, এইখনেইটো। ছাবিটোও লগাই থোৱা আছিল। তাৰমানে কোনোবাই ভুলতে নিছিল হ'বলা। অভিমন্যুৰ মুখত তেতিয়াহে হাঁহি বিৰিঙিল।

"মোৰ কাৰণেই পালি বুজিছ, খোৱাই দিবি মোক কিবা এটা।"

"হ'ব হ'ব, খোৱাম দে " বুলি চাইকেলত উঠিল অভিমন্যু। পিছত সন্ধ্যা। ফুৰ্তিত জোৰকৈয়ে চলাইছিল সি। এৰা, কিবা এটা বস্তু হেৰাই যোৱাৰ পাছত আকৌ ঘূৰাই পালে সচাঁয়ে বৰ ভাল লাগে। জীৱনত হেৰাই যোৱা সময়বোৰো এনেকৈয়ে ঘূৰাই পোৱা

হ'লে। বতাহজাক বলি আছিল পাতলকৈ। জোৰেৰে চলাই নিয়া চাইকেলৰ পিছফালে থকা সন্ধ্যাৰ চুলিবোৰ যেন চঞ্চল হৈ নাচিছিল। সন্ধ্যাহঁতৰ লগে লগে শৰতৰ আগমণৰ বতৰা লৈ জোনটোও গৈ আছিল মেঘৰ আঁৰে আঁৰে। চাইকেল পোৱাৰ ফুৰ্তিতে অভিমন্যুয়ে জোৰেৰে চলাইছিল অকাই পকাই। পিছফালে থকা সন্ধ্যাই "ঐ, লাহে লাহে যা" বুলি মৃদু ঘোঁচা এটা মাৰিছিল তাৰ পিঠিত। মুখেৰে চিঞৰি চিঞৰি জুবিন দাৰ গানৰ কলিটো আওঁৰাই গৈছিল অভিমন্যুয়ে,

"মন যায় মোৰো মন যায়

চকুত চকু থৈ চাবলে,

লাহে লাহে ওচৰ পাবলে,

কাষে কাষে খোজ দিবলে......"

(আগলৈ)

#নিৰিবিলি

Part 30

কাইলৈৰ পৰা mid term। আজি আৰু লাইব্ৰেৰী লৈ নগ'ল সন্ধ্যা। ৰুমতে পঢ়িব আজি। লাইব্ৰেৰীলৈ বুলি অহা যোৱা কৰিবলৈকো আজি সময় নাই। অভিহঁতো যোৱা নাই আজি। কাইলৈ history আছে। কি যে হ'ব! 40 নম্বৰৰ কি আহিব বাৰু। প্ৰতিটো Liturature periodৰ প্ৰতিজন Literary figureৰ নাম, বিভিন্ন চন, তেওঁলোকৰ সাহিত্যৰাজি মনত ৰখাটো কম টান নে? দিনটো এবাৰ টেবুলত এবাৰ বিচনাত পাৰ কৰিলে সন্ধ্যাই। পৰীক্ষাৰ আগৰ দিনটোতকৈ ভয়াৱহ দিন কি থাকিব পাৰে আৰু? এবাৰ আৰম্ভ হোৱাৰ পাছত ভয়টো নোহোৱা হয় বাৰু। মাজতে নিমিষাহঁতো আহিছিল। সিহঁত কেইজনীমানে আজি কালি group discussion কৰিবলৈ লৈছে। অলপ টান যেন লগা টপিক বোৰ আলোচনা কৰি পঢ়িলে সহজে মনত থাকে। কালি ৰাতিও নিমিষা, জুৰি, প্ৰিয়া আৰু পৰী আহিছিল সন্ধ্যাৰ ৰুমলৈকে। পঢ়ি হোৱাৰ পাছত বিদিশা বাৰ কেটলিটোতে মেগী বনাই খালে সিহঁতে। এই পৰীক্ষাৰ কেইদিন মেগীয়েই অমৃতৰ দৰে কাম কৰে। ৰাতি দেৰিলৈকে পঢ়িলে যে ভোক টোও লাগি আহে, তেতিয়াই মেগীকণে হে উদ্ধাৰ কৰে তেতিয়া। বয়জ হোষ্টেলবোৰত আকৌ ভাল, বনোৱা মেগীয়েই পাই কেন্টিনত। ইয়াত হে বনাই খাব লাগে সিহঁতে। কেন্টিনো প্ৰত্যেকখন গাৰ্লচ হোষ্টেলত নাইয়েই।

Kaushik

সিদিনা যে ৰাতি ভাল জমিছিল মেগীৰ লগতে। পঢ়া সামৰি ৰীণা বা, বিদিশা বা আৰু দীপা বাৰ লগত সন্ধ্যাই আড্ডা মাৰি আছিল। ৰাতি পঢ়ি পঢ়ি শোৱাৰ আগত অলপ আড্ডা মাৰিলেহে টোপনিটোও ভালকৈ আহে। পৰীক্ষা নাথাকিলে সেইটো আড্ডা দীঘলীয়া হয়, পিছে এতিয়া পৰীক্ষাৰ কাৰণেই চমু। তেনেকুৱাতে মেগী খাবলৈ মন গ'ল আটাইকেইজনীৰ। কিন্তু কাৰো ওচৰতে মেগী নাই। দীপা বাৰ তাত ৫ টকীয়া এপেকেট আছে। পিছে কাৰ নাকত দিবনো এপেকেটেৰে।

বহুত ভবাৰ পিছত ৰীণা বায়ে উপাই উলিয়ালে, "ৰ' মই কৰি আছো কাম এটা" বুলি ফোন লগালে তাইৰ লগৰ এটালৈ,

"Hello, অ' ধুন, কি কৰিছানো? "

উফ্, ৰীণা বাৰ যেন মাত নহয়, কৃষ্ণৰ মন ভোলোৱা মুৰুলীহে। বিদিশাৰ ইংগিতত ফোনটো স্পীকাৰত দিলে তাই।

"কোৱা, মই এয়া আছো এনেই। তুমি?" সিফালৰ পৰাও মিঠা মিঠা মাত।

"অ' ধুন, শুনা না, মোৰ জানা বহুত ভোক লাগিছে আৰু মেগী খাবলৈ মন গৈছে অ'..." ৰীণাই যেন মাতত মৌহে ঢালিছে।

"অ'হ, হয় নেকি?" মাতটো সৰু হ'ল। আগন্তুক বিপদৰ উমান পাইছিল যেন সিফালৰ জনে।

"হয় অ'। অ' জান, প্লিজ তোমালোকৰ হোষ্টেলৰ পৰা আনি দিয়ানা !!! " লেনিয়াই লেনিয়াই ৰীণা বাৰ আব্দাৰ।

"অহ্, কিন্তু এতিয়া ৰাতিখন মন যোৱা নাই অ'। বনাইয়েই খোৱা নহ'লে।" মিহিকৈ আপত্তি তেওঁৰ।

"কিনো অ', তোমালোকৰ হোষ্টেলৰ মেগী খিনিত তুমি তুমি feel এটা পাওঁ জানা, সেই কাৰণেহে কৈছো। আনি দিয়ানা plzzz..."

জোৰ কৰি ওলাই আহিব খোজা সন্ধ্যাৰ হাঁহিটো মুখত সোপা দি ধৰিছিল দীপা বাই। বিদিশাও হাঁহিত ৰ'ব নোৱাৰি টাৱেলখনেৰেই মুখ খন জোৰ কৰি ধৰি ৰাখিছিল। এইবোৰৰ মাজতো হাঁহি নুঠাকৈ কেনেকৈ লেনিয়াই আছে কেৱল ৰীণাইহে জানে।

Kaushik

"অহ্, really? হ'ব দিয়া জান, লৈ গৈ আছো মই হা। " সিফালৰ জন এইবাৰ পিছলিল। ৰীণাই যি মোহিনী মাৰিছে, নিপিছলি পাৰে নে আৰু।

"শুনা না, মোৰ লগত আৰু তিনিজনী আছে, 3 প্লেট লাগিব হা। কাৰোবাক লৈ মেলি manage কৰা না plzz.." দিওঁ বুলিয়েই চেনি দিছে ৰীণাই।

"হ'ব দিয়া, মই মিলাম বাৰু।" বুলি ফোন টো থ'লে সি।

বাগৰি বাগৰি হাঁহিছিল সন্ধ্যাহঁতে। কেনেকৈ পাৰে মানে এই ৰীণা বা জনীয়ে?? দীপা বাৰ হাঁহিৰ কোবত উশাহ বন্ধ হওঁ হওঁ অৱস্থা। গৌৰৱৰ হাঁহি মাৰিছিল ৰীণাই,

"দেখিলিতো মোৰ যাদু?"

"সচাঁকে ৰীণা, তোক কিন্তু salute দিব লাগিব ৰে।" হাঁহি হাঁহি বিদিশাই কৈছিল।

"ৰীণা অ' মোকো শিকাবি চোন অলপ, ৰাম ৰাম চেনি নহয় মিঠৈৰ টিং ঔ তই।" দীপাৰ কথাত আকৌ এজাউৰী হাঁহি। সিহঁত থকা ৰুমটো হোষ্টেলৰ আগফালে আছিল। সেইবাৰে হাঁহিৰ চিঞৰে ছিকিউৰিটী ডেস্ক, ৰাস্তালৈকে ৰজনজনাই গৈছিল।

"পৰীক্ষাৰ মাজতো এইজাকৰ হাঁহি কি চাবা" খঙতে ভোৰভোৰাইছিল security desk ত থকা মাহীয়ে। এবাৰত মাহীয়ে ছিকিউৰিটী ৰুমটোৰ পৰা ওলাই আহি আগফালে থিয় হৈ ৰীণাহঁতৰ ৰুমটোৰ ফালে চাই চিঞৰিলে,

"ঐ ছোৱালীহঁত, কিহৰ ইমান হাল্লা ৰাতিখন? তহঁতে নপঢ় বুলি বাকী ছোৱালীকো পঢ়িব নিদিবি নেকি?"

ছিকিউৰিটী মাহীৰ ধমকিত সন্ধ্যা বিদিশাহঁত চুপ হৈ গ'ল যদিও ৰীণাই মুখতে ওলোটাই ক'লে,

"পঢ়াৰ মাজতে অকণ কথাহে পাতিছোঁ, এই বুঢ়ী ছাগলীজনীৰ বেবাবলে হ'লেই।"

পানী খাবলৈ লৈছিল দীপাই। ৰীণাৰ উত্তৰ "পুওওত" বুলি গোটেই সোপা ওলাই ৰুমতে পৰিল। চৰ্চৰণি খাই বেছেৰীৰ অৱস্থা নাই। হাঁহি হাঁহি বিচনাত বাগৰি পৰা সন্ধ্যাহঁতৰো একে অৱস্থা। এইখন মুখেই নে ৰীণাৰ। তাইৰ কথাটো তলৰ মাহীয়েও শুনিছিল,

"এইজনী আমাৰ যোৰহটীয়া জনীয়ে চাগে। আই ঔ, এইখন মুখত আগলে শাহুৰেৰে খোৱা খুবিৰ পিছদিনাই ঘৰত থৈ যাবহি তোক।" মুখত থকা তামোলখন পকতিয়াই

Kaushik

মাহীয়ে চিঞৰিলে। ৰুমটোত আকৌ হাঁহি। সন্ধ্যাই দেখিলে কথাটো বেয়া হ'ল, যিমান যি হ'লেও মাহীগৰাকী বয়সত সিহঁতৰ মাকৰ সমান। ৰুমৰ পৰা ওলাই আহি সন্ধ্যাই মাহীলৈ চাই ক'লে,

"নাই মাহী, বেয়া নাপাব। ৰীণা বাই মোকহে কৈছিল তেনেকে।"

"এহ্ থোৱা হে আইদেউ। তুমি এতিয়াহে আহিছা, মই অতদিনে পাই আহিছো এই মুখেশ্বৰীক।" কথাখিনি কৈ আকৌ ছিকিউৰিটীৰ ৰুমটোলৈ সোমাই গ'ল মাহী। সন্ধ্যাও ৰুমত সোমাল।

"কথাটো বেয়া হ'ল ৰীণা বা, মাহীয়ে...." সন্ধ্যাৰ কৈ নহওঁতেই দীপাই ক'লে,

"একো নহয় সন্ধ্যা। মাহী আৰু ৰীণাৰ এইবোৰ চুপতা চুপতি চলিয়েই থাকে।"

এৰা, এইখনেই ঘৰ। ৰং, ধেমালি, মৰম, ভালপোৱা, খং আদিৰে পূৰ্ণ। সোৱণশিৰী লাহে লাহে সন্ধ্যাৰ বুকুৰ আপোন হ'বলৈ লৈছিল। ঘৰতো কেতিয়াবা খুৰাকৰ জীয়েক জনীয়ে আইতাকৰ মুখে মুখে কথা কয়। আইতাকেও গালি পাৰে। কিন্তু সময়ত আকৌ সকলো ঠিকো হৈ যায়। এধানি খং অভিমানে মৰমবোৰক কেতিয়াও আঁতৰাব নোৱাৰে।

৫ কি ১০ মিনিট হৈছিল হে, ৰীণা বাৰ মৰমৰ ডেকাজনে লগত আৰু এজনক লৈ ৪ প্লেট মেগী আনি দি থৈ গ'লহি। আনিবলৈ গেটৰ লৈকে সন্ধ্যা আৰু ৰীণা বা গৈছিল। চিকিউৰিটী মাহীৰ যি চকুৰ পাক যেন সিহঁত পলাই যাবলৈহে যেন আহিছে। মুখখন বেকাঁ কৰি "হুহ্" বুলি গুছি আহিছিল ৰীণা। তাই এনেয়ো এইবিলাক ক্ষেত্ৰত কাকো খাতিৰ কৰা ছোৱালী নহয়।

তেনেকৈয়ে মেগীৰ যোগাৰ কৰিছিল সিহঁতে। প্ৰিয়াহঁত আহোঁতে পিছে সন্ধ্যাই নিজেই বনালে মেগী। তেনেকৈয়ে সিহঁতৰ group discussion বোৰ শেষ হৈছিল।

গাৰ্লচ হোষ্টেলৰ দৰেই বয়জ হোষ্টেলবোৰতো পৰীক্ষাৰ প্ৰভাৱ সমানেই পৰিছিল। জুনিয়ৰ ছিনিয়ৰ সকলোৱেই পঢ়াত ব্যস্ত। আন দিনাৰ দৰে অভিমন্যুয়ে মাজে মাজে আহি ময়ূঁৰক পঢ়াবোৰ বুজাই দিয়ে। সি আচৰিত হয় অনুৰণৰ পঢ়াৰ কৌশল দেখি। পৰীক্ষাৰ আগদিনাও ইমান শান্ত হৈ পঢ়ে সি। মাজে মাজে গানো শুনে। এবাৰত গেটৰ

kaushik

বাহিৰৰ পৰাও আহেগৈ। অভিমন্যুৰ পিছে এনেকুৱা সময়ত তৎ নাথাকে। এক ছেকেণ্ডো যেন ক্ষতি হ'বলৈ দিব নোৱাৰি।

এনেকৈয়ে আৰম্ভ হ'ল পৰীক্ষা। প্ৰথম দুদিন ভালকৈয়ে গ'ল। আগৰ টাৰমিনেলটো ক্লাছতেই হোৱাৰ বাবে বৰ বেছি পৰীক্ষা পৰীক্ষা ভাৱটো অহা নাছিল কাৰোৰে। কিন্তু মিড টাৰ্ম পতাৰ ধৰণ দেখি মেট্ৰিক যেন হে লাগিছিল। বেগ বাহিৰৰ ছিকিউৰিটী ডেস্কত থৈ যাব লাগে, মোবাইলতো নিয়াৰ কথা ভাবিবও নোৱাৰে। অকল পানী বটল আৰু পেন। No extra sheets। ভয়ে ভয়ে পৰীক্ষাত বহিছিলগৈ সন্ধ্যাহঁত। দীঘল হলটোতে হৈছিল পৰীক্ষা। ছিট প্লেন মাৰি থৈছিল। এটা হলতে তিনি গৰাকীমান গাৰ্ড। দুই এটা প্ৰশ্ন এৰিলেও বৰ এটা বেয়া হোৱা নাছিল পৰীক্ষা। পিছে সেই তিনি নম্বৰ পৰীক্ষাৰ দিনাই নভবাকৈ ঘটনাটো ঘটিল। সেইদিনা পিছবেলা ২.৩০ টাৰ পৰা আছিল পৰীক্ষা। আনদিনাৰ দৰে পৰী, প্ৰিয়া আৰু সন্ধ্যাই প্ৰিয়াৰ ৰুমতে পঢ়ি আছিল ভাত খাই উঠি। পৰীৰ হোষ্টেল কপিলী যদিও তাই একেবাৰে ওলাই আহিছিল। সিহঁতৰ লগতে পৰীক্ষালৈ যাব। আৰু আধা ঘন্টাৰ পাছতে আৰম্ভ হ'ব। অলপ টান topic এটা discuss কৰি আছিল সিহঁতে, senior হোৱাৰ বাবে ৰীণা বায়ে বুজাই আছিল। বুজাই হ'লত সন্ধ্যা উঠি আহিল ৰুমলৈ বুলি। উলাই মেলি তিনিওজনী একেলগে যাব। খৰ-খেদাত সন্ধ্যাই মোবাইলটো এৰি আহিলে প্ৰিয়াৰ ৰুমতে। আহি তাই ৰুমত সোমাল। হাত- মুখ ধুই আহি কাপোৰযোৰ সলাব লৈছিলহে, ঠিক তেনেকুৱাতে শব্দ এটা হ'ল জোৰ কৰি, "ধম্"।

পৰীক্ষা হলৰ সন্মুখত ল'ৰা-ছোৱালীবোৰৰ ভিৰ। বিল্ডিংটোৰ সমুখৰ শাৰী শাৰী গছকেইজোপাৰ তলতেই চাৰি পাঁচজন মানে একোটা group হৈ চিঞৰি চিঞৰি কিবা আলোচনা কৰিছে, কোনোবাই আকৌ একান্ত মনে কিবা পঢ়ি আছে। কোনোবাই কিতাপখন লৈ মুখস্থ মতাৰ দৰে ইফালৰ পৰা সিফাললৈ ঘূৰিছে। ময়ূঁৰ বহি আছিল বিল্ডিংটোৰ ভিতৰলৈ সোমোৱাৰ step টোতে। কাণত তাৰ তেতিয়াও হেডফোন ডাল। কাষতে অনুৰণ, সন্মুখত থিয় হৈ কিবা কিবি কৈ আছিল অভিমন্যুয়ে। তেনেকুৱাতে প্ৰিয়া আৰু পৰী আহিল।

"পঢ়ি হ'ল নে নাই" অভিমন্যুলৈ চাই পৰীয়ে সুধিলে।

Kaushik

তাইৰ কথাত উত্তৰ নিদি অভিমন্যুয়ে ওলোটাই সুধিলে, "সন্ধ্যা ক'ত? অহা নাই যে" সদায় সিহঁত তিনিওজনী একেলগেই আহে বাবে তাইক নেদেখি সুধিলে সি।

পৰীৰ হৈ উত্তৰটো দিলে প্ৰিয়াই,"তাইতো অথনিয়েই আহিল। ৰুমৰ দুৱাৰত হুক মৰা আছে বাহিৰৰ পৰা।"

"ক'তা, আমিতো অথনিৰে পৰা ইয়াতে আছো, তাইকটো আমি..." অভিমন্যুৰ কথা শেষ নৌহওঁতেই warning মাৰিলে। প্ৰিয়াহঁতৰ লগতে এজাকমান students হুৰ-হুৰাই সোমাই গ'ল। অভিমন্যুও এবাৰত আগবাঢ়ি গৈ ইফালৰ পৰা সিফাললৈকে চালে। কিজানি সিহঁতে নেদেখাকৈয়ে নাইবা সিহঁত অহাৰ আগেয়েই তাই সোমাল। নাই, ক'তোৱেই নাই তাই।

"সন্ধ্যালৈ এবাৰ ফোন মাৰি চোৱা চোন।" অনুৰণৰ কথাত অভিমন্যুৱে ফোন মাৰিলে সন্ধ্যালৈ। ৰিং হৈ হৈ কাটি গ'ল।

"ৰিচিভ নাই কৰা, আহি আছে চাগে তাই। ব'লা যাওঁ আমি।" অভিমন্যু যাবলৈ ওলাল। সময় লাহে লাহে আগুৱাইছিল।

"তুমি যোৱাচোন, মই গৈ আছো।" অনুৰণ বাহিৰতে অলপ ৰ'ল। ময়ূঁৰ আৰু অভিমন্যু hall ৰ ভিতৰত সোমাল। সন্ধ্যাৰ নিচিনা চিৰিয়াছ ছোৱালী এজনীয়ে পৰীক্ষাত নহাকৈ নাথাকে বুলি জানে অভিমন্যুয়ে। সিদিনা তাৰো দেৰি হৈছিল। ফাইনেল বেল মৰাৰ পাছতহে সোমাইছিল গৈ দৌৰি দৌৰি। তাইৰো তেনেকুৱাই কিবা হৈছে চাগে। কিবা বিশেষ অসুবিধা হোৱা হ'লেতো ফোন কৰিলেহেঁতেন। সেইবাবে বেছি নাভাবি পৰীক্ষাত বহিল অভিমন্যু। এক দুই কৈ দহ মিনিট পাৰ হৈ গ'ল, আৰু পাঁচ মিনিটৰ পাছত পৰীক্ষা আৰম্ভ। সন্ধ্যাই কেতিয়াও ইমান দেৰি নকৰে। আজি কি হ'ল তাইৰ? আজি কি হ'ল তাইৰ?? অনুৰণে ভাবি পাৰ পোৱা নাই। এবাৰ সি ফোনো মাৰিলে। নাই, নাই কৰা তাই ৰিচিভ। এনেতে final bell পৰিল। অনুৰণ তেতিয়াও বাহিৰত। এবাৰ হলটোলৈ খিৰিকীৰে চালে। খালী হৈ আছে সন্ধ্যাৰ ছিটটো। ক'ত গ'ল এই সন্ধ্যা?? ভিতৰত পৰীক্ষা আৰম্ভ হ'ল। সময়ো পাৰ হৈছে। অনুৰণে এবাৰ বাটলৈ এবাৰ ভিতৰলৈ অহা-যোৱা কৰি আছে। সন্ধ্যা আহি পোৱা নাই। লাহে লাহে পৰীক্ষা আৰম্ভ হোৱাৰো পাঁচ মিনিট পাৰ হ'ল। অনুৰণ এইবাৰ নিশ্চিত হ'ল। হয়, সন্ধ্যাৰ বিপদ হৈছে কিবা। নহ'লে পৰীক্ষা আৰম্ভ হৈ যোৱালৈকে তাই কিয় আহি নাপাব। এবাৰ হলটোৰ ভিতৰলৈ আকৌ চালে অনুৰণে। প্ৰশ্ন কাকত লৈ একান্ত মনে লিখি গৈছে

Koushik

সকলোৱে। মাত্ৰ সন্ধ্যা নাই। আৰু একো নাভাবিলে সি। পৰীক্ষা হললৈ নোসোমাই বাহিৰলৈ আহি চাইকেলখন উলিয়াই খৰকৈ সোৱণশিৰীৰ ফালে আগবাঢ়িল অনুৰণ।

(আগলৈ)

#নিৰিবিলি

Part 31

"প্লিজ কোনোবাই খোলা। মাহী.. মাহী..। দীপা বা...।" পাগলীৰ দৰে চিঞৰি আছিল সন্ধ্যাই। নাই, কাৰোৰে একো প্ৰত্যুত্তৰ নাহিল। বিদিশাও পৰীক্ষাৰ বাবে কেতিয়াবাই গ'ল। মোবাইলটোও এৰি আহিল তাই প্ৰিয়াৰ ৰুমত। প্ৰিয়াহঁতেও নো তাইক এবাৰো বিচাৰি নাহিল নে? কিয়? সিহঁততো একেলগেই যোৱাৰ কথা আছিল। কোনে কৰিলে এই কাম? প্ৰিয়াৰ ৰুমৰ পৰা আহি বাথৰুমত মুখখন ধুই ৰুমত সোমাইছিলহে সন্ধ্যা। হঠাৎ ধমকৈ এটা শব্দ। কোনোবাই দুৱাৰখন জোৰকৈ মাৰি দিলে। তাই "কোন কোন" বুলি দুৱাৰ মুখ পাইগৈ মানে সিফালৰ গৰাকীয়ে বাহিৰৰ পৰা দুৱাৰ লক কৰি দিছিল। জোৰেৰে ঢকিয়াইছিল সন্ধ্যাই। কোনো উত্তৰ নাহিল। সেই যে তাই ৰুমত বন্দী হ'ল, এতিয়ালৈকে তেনেকেই আছে। প্ৰায় আধা ঘণ্টা হৈ গ'ল চিঞৰি চিঞৰি সন্ধ্যাৰ ডিঙি শুকাইছিল। কোনো নাই। থাকিবও নো কেনেকৈ? সকলোৰে পৰীক্ষা। গোটেইবোৰ নিজৰ নিজৰ ডিপাৰ্টমেন্টত। সন্ধ্যাৰ ৰুমটোও হোষ্টেলৰ ভিতৰফালে। গতিকে ছিকিউৰিটী ডেস্কৰ পৰা শুনাৰো সম্ভাৱনা নাই। তথাপিও চেষ্টা এৰা নাছিল তাই,

"খোলা চোন অ' কোনোবাই।"

লাহে লাহে চিঞৰবোৰত কান্দোন মিহলি হৈ আহিছিল,

"মোৰ পৰীক্ষা আছে অ'। খোলা কোনোবাই দুৱাৰখন।"

নাই, চাৰিওফালে শূণ্যতা। প্ৰথমতে ৰুমটোৰ ভিতৰতে কিবা লাঠি বিচাৰিছিল সন্ধ্যাই দুৱাৰত শব্দ কৰিবলৈ। নাই, একো নাপালে। শেষলৈ কান্দোনবোৰ জোৰেৰে শব্দ হৈ ওলাই আহিল তাইৰ। প্ৰথমে উচুপি আৰু শেষলৈ চিঞৰি চিঞৰি কান্দিছিল তাই।

"মোৰ পৰীক্ষা আছে অ'....."

Kaushik

কান্দোনৰ লগতে ভঙা ভঙা মাতেৰে কৈ গৈছিল। চুলি বোৰ আউলী হৈ পৰিছিল। কান্দি কান্দি ৰঙা হৈ ওখহি গৈছিল চকুদুটা। কিয়? কিয় এনে হয় তাইৰ? সৌ সিদিনা কৌশিকৰ ঘটনাটো হৈ গৈছেহে। আজি এইয়া। কিয় ঈশ্বৰে এইদৰে কৰিছে তাইৰ লগত। পৰীক্ষা চাগে আৰম্ভয়েই হ'ল। আজি আৰু পৰীক্ষা দিয়া নহ'ব তাইৰ। নাই, পৰীক্ষা দিবলৈ নোপোৱাৰ দুখতকৈ তাইৰ এইটোত বেছি দুখ লাগিছিল যে কোনোবাই ইচ্ছা কৰি তাইক ৰুমত বন্দী কৰি থৈ গ'ল। মানুহ ইমান নিৰ্দয় কেনেকৈ হ'ব পাৰে? কোন আছে এনেকুৱা পাষাণ হৃদয়ৰ? তাইতো কাকো একো জগৰ লগোৱা নাই। কাৰো একো বেয়া চিন্তা কৰা নাই। তেন্তে তাইক কিয় কৰিছে? অৱশ্যে হৰিণে বাঘক নাখাই বুলি হিংস্ৰ বাঘেও যে শান্ত হৰিণক নাখাব তেনে কিবা কথা আছে জানো? সন্ধ্যাৰ ক্ষেত্ৰতো একেই হ'ল। কান্দি কান্দি বিচনাৰ কাষতে পকাত বহি পৰিল সন্ধ্যা।

Kaushik

খৰকৈ চলাই অহাৰ বাবে দুই কি তিনি মিনিটৰ ভিতৰতে সোৱণশিৰী পালেহি অনুৰণ। ছিকিউৰিটী ডেস্কৰ ওচৰ পালেগৈ সি। সাহস কৰি তাত থকা গাৰ্ড গৰাকীক ক'লে,

"Excuse me, মই সন্ধ্যাক লগ পাব খুজিছিলোঁ। সন্ধ্যা ৰাগিণী বৰুৱা।"

"এতিয়া পৰীক্ষাৰ সময়ত ক'ত ছোৱালী পাবা হে হোষ্টেলত?" এগৰাকী গাৰ্ডে ক'লে। ছোৱালীক লগ কৰিবলৈ অহা ল'ৰাবোৰক কিছু হেয় দৃষ্টিৰেই চাই মাহীহঁতে।

"আপুনি এবাৰ মাতি দিয়ক চোন। অলপ urgent।" অনুৰণৰ স্বৰটো কিছু গহীন হ'ল। তাৰ এই গহীন স্বৰটো মানুহে সাধাৰণতে অৱজ্ঞা কৰিব নোৱাৰে। গাৰ্ড গৰাকীয়েও নোৱাৰিলে। বিৰক্তিৰে স্পীকাৰটো লৈ announcement কৰিলে,

"সন্ধ্যা ৰাগিনী বৰুৱাক ছিকিউৰিটী ডেক্সত বিচৰা হৈছে।" দুবাৰ কৈয়ে থ'লে তেওঁ।

ভিতৰত সন্ধ্যাই উচপ খাই উঠিল। কোনোবাই তাইক বিচাৰি আহিছে। তাৰমানে তাই পৰীক্ষা হলত নোযোৱা কথাটো গম পাইছে মানে? নিশ্চয় অভিমন্যুয়ে হ'ব। কাৰণ কোনোবা ছোৱালী হোৱা হ'লেতো সোমায়েই আহিল হয়। কিন্তু সন্ধ্যা তললৈ যায় কেনেকৈ? আকৌ দুৱাৰত ঢকিয়াই চিঞৰি উঠিল তাই।

"মাহী, মাহী দুৱাৰখন খোলকহি চোন। অভি..." নাই, কাৰো উত্তৰ নাহিল। ফেঁকুৰি উঠিল সন্ধ্যাই। তাইৰ উত্তৰ নাপালে যে অভিও উভতি যাবগৈ এতিয়া। সময়ো কেতিয়াবা ভাবিব নোৱাৰা ধৰণে অসহায় হৈ পৰে।

"হেৰা, দেখিলাতো। নাই তোমাৰ বান্ধৱী।" কিছু সময় পাৰ হৈ যোৱাৰ পাছতো সন্ধ্যা ওলাই নহা দেখি ছিকিউৰিটী গাৰ্ডগৰাকীয়ে অনুৰণক ক'লে। কিন্তু অনুৰণৰ তেও বিশ্বাস হোৱা নাই। কিবা এটা যেন হৈছে সন্ধ্যাৰ। কিয় জানো তাৰ মনটোৱে মনা নাই।

"আপুনি বেয়া নাপাই যদি এবাৰ ভিতৰত চাই আহিব নেকি?" সাহ কৰি অনুৰণে তেওঁক ক'লে।

"হেৰা, কি ভাবিছা হে তুমি আমাক? তোমাৰ হেৰিয়েৰাক বিচাৰি ফুৰাই কাম নেকি আমাৰ? চিনি পোৱা নাই আমি কোন?" মানুহগৰাকীয়ে ইমান টানকৈ নোকোৱা হ'লেও হ'লহেঁতেন। বহুত ভদ্ৰ ভাৱে কৈছিল অনুৰণে। কিন্তু এই সময়ত এনে উত্তৰত তাৰো ধৈৰ্য হেৰাল। কিছু টানকৈয়ে ক'লে সি,

"চিনি পাইছোঁ বাবেই আপোনাকে কৈছোঁ। আপোনালোক ছিকিউৰিটী। মানে হোষ্টেলৰ প্ৰত্যেকজনী ছোৱালীৰ ছিকিউৰিটীৰ দায়িত্ব আপোনালোকৰ। যদি সন্ধ্যাৰ কিবা বিপদ হৈছে, দায়ী কিন্তু আপোনালোক হ'ব। ৰুম নম্বৰ 132, যাওঁক এবাৰ চাই আহক।" গম্ভীৰকৈ কোৱা অনুৰণৰ কথাত আচৰিত হৈ গাৰ্ড কেইগৰাকীয়ে ইজনীয়ে সিজনীলৈ চালে। মুখেৰে একো নকৈ লগে লগে এগৰাকী উঠি ভিতৰলৈ গ'ল। অনুৰণো ওলাই আহিল ৰাস্তাৰ ফালে। মানুহগৰাকীক তেনেকৈ কথাখিনি কৈ তাৰো বেয়া লাগিছিল। কিন্তু উপায়ো যে নাই। সন্ধ্যাৰ চিন্তাত কি কৰোঁ কি নকৰোঁ হৈছে সি। তাতে তেওঁৰ সেই ব্যৱহাৰে ধৈৰ্যৰ বান্ধ ছিগিছিল। এবাৰ সোৱণশিৰীলৈ চাই ৰাস্তাটোৰ সিপাৰে কৃষ্ণচূড়া জোপাৰ তলত চাইকেলখনত ধৰি ৰৈছিল অনুৰণ। ঠিকে আছেনে বাৰু সন্ধ্যা?

দুৱাৰখনত ঢকিয়াই ঢকিয়াই তলতে বহি গ'ল সন্ধ্যা। অভিমন্যু চাগে উভতিয়ে গৈছে এতিয়ালৈ। নাই, তাই নোৱাৰিব পৰীক্ষা দিব। এনেতে কাৰোবাৰ শব্দ শুনিলে।

kaushik

"এইবোৰ ল'ৰাই কথা শুনাই আমাক, কি ভাবিছে? আজিয়েই ৱাৰ্ডেন মেমক ক'ম।" ভোৰভোৰাই আহি আছিল ছিকিউৰিটী মাহী। মাত শুনিয়েই দুৱাৰত আকৌ ঢকিয়ালে সন্ধ্যাই,

"মাহী, মাহী দুৱাৰখন খোলক।"

ৰুমটোৰ সমুখ পাই আচৰিত হ'ল মাহীজনীও। ৰুমটোত বাহিৰৰ পৰা দুয়োটা হুক লগোৱা। অথচ ভিতৰত কাৰোবাৰ মাত। কি আচৰিত। হোষ্টেলৰ দৰ্জাবোৰৰ দুটাকৈ হুক। লগতে যথেষ্ট টানো। দুয়োটা হুক লগাই থ'লে ঢকিয়াই বা থেলি খোলাটো অসম্ভৱ। মানুহগৰাকীয়ে লৰালৰি হুকটো খুলি দুৱাৰখন মেলিলে। মেলা চুলিৰে কান্দি বাউলী হোৱা সন্ধ্যাক আকোৱালি ধৰিলে তেওঁ,

"মাজনী, তোমাক কোনে এনেকৈ থৈছে। কোনে কৰিছে এইবোৰ?" যিমান কঠুৱা হ'লে তেওঁও এগৰাকী নাৰী। কাৰোবাৰ মা। নিজৰ জীৰ বয়সৰ ছোৱালীজনীৰ এই অৱস্থাত তেওঁৰো দুখ লাগিল।

"নাজানো মাহী, মোৰ পৰীক্ষা আছিল। ওলাই থাকোঁতেই কোনোবাই...." আৰু ক'ব নোৱাৰিলে সন্ধ্যাই। কান্দি কান্দি সাৱটি ধৰিলে।

"ইচ ইচ, এনে ৰাক্ষসী ছোৱালী থাকেনে কোনোবা? চব বিচাৰ কৰিম। এতিয়া তুমি যোৱা। ল'ৰা এজন বৈ আছে। সি নোকোৱা হ'লে গমেই নাপালোঁ হয় তোমাৰ কথা। সি হে জোৰ কৰি মোক ইয়ালৈকে পঠালে।" সন্ধ্যাৰ চকুপানী মচি দিলে তেওঁ। বিচনাৰ পৰা বেগটো লৈ দুৱাৰখন মাৰি প্ৰায় দৌৰি অহাৰ দৰে ওলাই আহিল সন্ধ্যা। বাহিৰত ছিকিউৰিটী মাহীয়ে ৰাস্তাৰ সিটো পাৰলৈ আঙুলিয়াই দেখুৱালে সন্ধ্যাক। চাইকেলখনৰ কাষত হোষ্টেলৰ ফালে চাই বৈ আছিল অনুৰণ। এক মূহুৰ্তৰ বাবে বৈ গ'ল সন্ধ্যা। তাইতো ভাবিছিল অভিমন্যু আহিছে। কিন্তু অনুৰণ? তাকো তাইক বিচাৰি এনেকৈ পৰীক্ষা আধাতে এৰি? অনুৰণৰ ওচৰ পালেগৈ তাই। ক'ব নোৱাৰাকৈ বৈ আহিছিল অশ্ৰু এটোপাল।

"ৰণ" আৰু একো ক'ব নোৱাৰিলে সন্ধ্যাই।

"কি হৈছিল হা তোমাৰ? কিমান চিন্তাত..." আধাতে বৈ গ'ল অনুৰণ কিবা ক'ব খুজিও। "মোক কোনোবাই লক কৰি থৈছিল।" চকুৰ পানী বৈ আহিছিল সন্ধ্যাৰ আকৌ।

Kaushik

"বাৰু সেইবোৰ পাছত পাতিম, চাইকেলত উঠা।" তাৰ কথাত চকুপানী মচি চাইকেলত বহিল সন্ধ্যা। খৰকৈ পেডেল চলালে সি।

ইতিমধ্যে পৰীক্ষাৰ প্ৰায় আধা ঘন্টা মানেই পাৰ হ'ল। দুঘন্টাৰ পৰীক্ষাত আধা ঘন্টা বহুত সময়। বিজুলী বেগেৰে আহি ডিপাৰ্টমেণ্ট পালেহি সিহঁত। চাইকেলখন থৈয়ে খৰকৈ সোমাইছিল ডিপাৰ্টমেণ্টত। কিন্তু সন্ধ্যা যেন তেতিয়াও স্বাভাৱিক অৱস্থালৈ ঘূৰি অহা নাই। ডিপাৰ্টমেণ্টত সোমাবলৈ লৈও তাইৰ ভৰিখন যেন ৰৈ গৈছিল। তাইৰ প্ৰতি কিমান ঘৃণা থাকিলে কোনোবাই এই পদক্ষেপ ল'ব পাৰে ৰুমত লক কৰি থৈ।

'সন্ধ্যা, কি হ'ল? ব'লা।"

"ৰণ, মোক মানুহে ইমান বেয়া পাই যে। মই ইমান বেয়া নে?" সৰু ছোৱালীৰ দৰে সুধিলে তাই। অনুৰণে বুজি পাইছিল। সন্ধ্যাৰ দৰে আৱেগিক মৰম আকলুৱা ছোৱালী এজনীৰ মনত এইটো ঘটনাই কিদৰে সাঁচ বহাব সিও অনুভৱ কৰিব পাৰে। সন্ধ্যাৰ গালখন হাতেৰে স্পৰ্শ কৰি কৈ উঠিল সি,

"কোনে কৈছে তুমি বেয়া বুলি হা? সকলোৰে ভাল পাই তোমাক সন্ধ্যা। কিছুমান বেয়া মানুহৰ কাৰণে তুমি নিজক এনেকৈ ভাবিবা নে? এতিয়া এইবোৰ পাহৰি পৰীক্ষাটো ভালকৈ দিয়া। মই আছোঁতো ন লগত?" তাৰ চকুলৈ চাই ৰৈছিল সন্ধ্যাই এক মূহুৰ্ত।

"মই আছোঁতো ন" কথাষাৰ যেন মন্ত্ৰৰ দৰে। আজিৰ স্বাৰ্থপৰ পৃথিৱীতো যদি চকুত চকু থৈ এইদৰে ক'ব পাৰা এজন মানুহো জীৱনত থাকে সুখী হ'বলৈ আৰু কি লাগে? থৰ হৈ থকা সন্ধ্যাক হাতত ধৰি ভিতৰলৈ লৈ গ'ল অনুৰণে। ক'ৰবাত বতাহ জাক যেন হুৰহুৰাই বলিছিল। উৰি আহিছিল কৃষ্ণচূড়াৰ এটি দুটি পাহি আৰু কণ কণ পাতবোৰ।

"May we come in ma'am?"

অনুৰণৰ মাতত সকলোৱে মূৰ তুলি চালে। অভিমন্যুৱেও। অথনিৰে পৰা সিও শান্তিৰে লিখিব পৰা নাই। সন্ধ্যা আৰু অনুৰণৰ কি হ'ল একো ভাবি পাৰ পোৱা নাছিল সি। এতিয়া দুইটাকে একেলগে দেখি আৰু আচৰিত হ'ল। অনুৰণে হাতত ধৰি হলটোৰ ভিতৰলৈ লৈ গৈছে সন্ধ্যাক। লিখা পাহৰি সকলোৱে একেথিৰে চাই আছিল সিহঁতলৈ।

kaushik

টেবুলৰ পৰা answer sheet এখন নিজৰ বাবে লৈ আনখন সন্ধ্যাৰ হাতত তুলি দিলে অনুৰণে।

"All the best, ভালকৈ দিবা।" কোনেও নুশুনাকৈ ফুচফুচাই কৈছিল সি। সন্ধ্যা নিজৰ ঠাইত বহিলগৈ। অনুৰণো। মেমে প্ৰশ্ন দিলেহি। সকলোৱে দৰে সিহঁতো ব্যস্ত হৈ পৰিল উত্তৰ লিখিবলৈ।

সন্ধ্যাই ভাবিছিল তাই হয়তো একো লিখিবই নোৱাৰিব। কিন্তু ভবাৰ দৰে নহ'ল। সাংঘাতিক ভাল নহ'লেও মোটা মুটি ঠিকেই গ'ল পৰীক্ষাটো। মাত্ৰ সময় নোহোৱাৰ বাবে শেষৰ প্ৰশ্নৰ উত্তৰ চমুৱাব লগা হ'ল। দুঘন্টাৰ পৰীক্ষা ডেৰ ঘন্টাত দিব লগা হ'লে এনেকুৱা হ'বই আৰু। অনুৰণ, তাৰো চাগে এনেকুৱাই হৈছে। উত্তৰ লিখি থাকোঁতেও তাৰ কথাই মনলৈ আহি আছিল তাইৰ বাৰে বাৰে। একোবাৰ তাৰ ফালে মূৰ তুলিও চাই। সি লিখাত ব্যস্ত। আজি সি নোযোৱা হ'লে কি হ'লহেঁতেন তাইৰ। জানিবলৈ মন যায় সন্ধ্যাৰ, কি অনুমানত সি সোৱণশিৰী পালেগৈ? তাইতো না ফোন কৰিব পাৰিছিল, না মেচেজ। তেন্তে? এনে কি সংযোগ আছিল? সন্ধ্যাই বুজা নাছিল, কিছুমান সম্পৰ্কত ফোন মেচেজৰ প্ৰয়োজন নহয়। কোনো বিশেষ জনৰ বিপদত বুকু কঁপিবই। তাত দূৰত্ব নাইবা সময়ে প্ৰভাৱ নেপেলায়। ফাইনেল বেল মৰাত বহী গাৰ্ড গৰাকীক দি বাহিৰলৈ ওলাই আহিল সন্ধ্যা। বাহিৰেই ৱাছ ৰুম গৈছিল তাই। মুখখনত পাৰে মানে পানী মাৰিছিল। আইনাখনৰ সমুখত ৰৈ চাইছিল নিজক। মাত্ৰ এই কেইটা দিনতে কিমান যে দেখিছে তাই জীৱনৰ ৰূপ। পাঁচটা বছৰত আৰু কিমান দেখিবলৈ আছে। ২০১৫ ৰ বেটছ সিহঁত। ২০২০ ত শেষ হ'বগৈ। তেতিয়ালৈ বা কেনেকুৱা হ'ব তাই? কেনেকুৱা হ'ব সময়? নাই, তাই হাৰি নামায়। হাৰিব নোৱাৰে। পৰিস্থিতি যিয়ে নহওঁক ভগৱানত বিশ্বাস ৰাখি সাহসেৰে থিয় দিব তাই। কিছু সময় তাতে ৰৈ বাহিৰলৈ ওলাল সন্ধ্যা। ছিকিউৰিটী ডেস্কৰ পৰা বেগটো লৈ আগফালে আহিল।

ইতিমধ্যে অনুৰণৰ পৰা গোটেই কথাখিনি জানিব পাৰি খঙত উতলি উঠিছিল অভিমন্যু। ইমান তললৈ কোন যাব পাৰে। প্ৰিয়া আৰু পৰী ডিপাৰ্টমেন্টৰ পৰা ওলাওঁতেই আগভেটিলে সি। সিহঁতেও গম পালে কথাবোৰ।

Kaushik

"প্ৰিয়া, সদায়তো তহঁত সন্ধ্যাৰ লগতে আহ। আজি এৰি আহিলি কিয় তাইক।" অভিমন্যুয়ে সুধিলে।

"হাৰে দুৱাৰ বাহিৰৰ পৰা লক কৰা আছিল বাবেহে।" প্ৰিয়াৰ কথাত প্ৰায় চিঞৰাৰ দৰে ক'লে অভিমন্যুয়ে,

"দুৱাৰত হুকহে মৰা আছিল। তলা নমৰাকৈ কি তাই পৰীক্ষালে আহিব নেকি? এবাৰ খুলিতো চাব পাৰ। তাইতো কৈও আহিছিল তহঁতক একেলগে যাম বুলি।"

"তুমি কি আমাক ডাউট কৰিছা নেকি অভিমন্যু? আমি কি সন্ধ্যাক লক কৰি আহিম নেকি? তাই কি আমাৰ বান্ধৱী নহয়?" পৰীয়ে অলপ জোৰকৈয়ে ক'লে কথাষাৰ।

অভিমন্যুয়েও একে সুৰতে ক'লে,

"ডাউট অকল তোমালোকক নহয়, সেই সময়ত হোষ্টেলত থকা চব ছোৱালীকেই কৰিব লাগিব। কাৰণ তাইৰ দুৱাৰখন নিজে নিজেতো লক হ'ব নোৱাৰে। ভূতে আহি কৰিব নেকি? কোনোবাইতো ইচ্ছা কৰিয়েই কৰিছে। আৰু এটা কথা, সিদিনাৰ কেচটোতো সন্ধ্যাৰ দেউতাকৰ ফোন নম্বৰ কৌশিকৰ ওচৰলৈও নিজে নিজে যাব নোৱাৰে। কোনোবাই দিব লাগিব।"

Kaushik

এইবাৰ প্ৰিয়াই ক'লে,

"তই একদম ঠিক কৈছ অভিমন্যু। কোনোবাই ইচ্ছা কৰি এইবোৰ কৰি আছে তাইৰ লগত। আমি সাৱধান হ'ব লাগিব।" এনেতে সন্ধ্যা ওলাই আহিছিল ভিতৰৰ পৰা। অভিমন্যু আগুৱাই গ'ল। তাইৰ বাহুত আলফুলে ধৰিছিল সি,

"তই ঠিকে আছ ন?"

"আছোঁ অভি।" তাই উত্তৰ দিছিল।

"সন্ধ্যা, মোৰেই ভুল। এবাৰ যদি তোক দুৱাৰ খন খুলি চালোঁহেঁতেন। কিন্তু দৌৰা দৌৰিতে যে..." প্ৰিয়াৰ কথা কৈ নহওঁতেই সন্ধ্যাই ক'লে,

"একো নাই প্ৰিয়া। বাদ দে এইবোৰ। যাওঁ ব'ল। কাইলৈ আকৌ পৰীক্ষা আছে নহয়।" সিহঁত আগবাঢ়িল। এবাৰ অনুৰণে সন্ধ্যাৰ কাষ চাপি সুধিলে,

"কেনেকুৱা হ'ল?"

"ঠিক ঠাক, তোমাৰ?" তাইও সুধিলে।

"গ'ল ভালেই।" বুলি আগবাঢ়িল সি। সন্ধ্যাই চাই ৰৈছিল তালৈ। সি আজি যিখিনি কৰিলে, তাৰ বাবে "থেংকচ" বুলিও ক'ব পৰা নাই তাই। কেতিয়াবা কিছুমান কামক "থেংকচ" ৰে জুখিব নোৱাৰি। কাৰোবাৰ আন্তৰিকতাক এটা শব্দৰে জোখাতো জানো সম্ভৱ? প্ৰিয়া, সন্ধ্যাহঁত হোষ্টেলৰ ফালে খোজ ল'লে। সন্ধ্যাক কিবা কিবি সুধি গৈছিল প্ৰিয়াই। অনুৰণ আৰু ময়ূঁৰো চাইকেল থেলি থেলি লগতে গৈ আছিল। মোবাইল টিপি টিপি কিছু পাছ পৰি ৰোৱা পৰীৰ কাষলৈ কোনেও নেদেখাকৈ গৈছিল অভিমন্যু,

"পৰী, এটা কথা সোধোঁ?"

"সোধা আকৌ।" মোবাইলটোতে কিবা কৰি কৰি পৰীয়ে ক'লে।

"সিদিনা মেগনোলিয়াৰ বাহিৰত তুমি ফোনত কাক কৈ আছিলা যে তুমি আহা কিবা হ'লে মই চম্ভালিম?" অভিমন্যুৰ প্ৰশ্নত ঘপকৈ ৰৈ গ'ল পৰীৰ ভৰি দুখন। অচল হৈহে গৈছিল যেন। মোবাইলটোৰ পৰা মুখখন আঁতৰাই ভয়ে ভয়ে অভিমন্যুলৈ চালে তাই। মুখত তাইৰ ভয়ৰ চিন স্পষ্ট। কপালৰ চেলাউৰীকেইডালো লাহে লাহে মৃদুভাৱে কঁপিছে। যেন কিবা এটা লুকুৱাবলে গৈ ধৰাহে পৰিছে।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 32

"কি হ'ল পৰী, কোৱা আকৌ।"

পৰীয়ে একো নোকোৱা দেখি অভিমন্যুয়ে আকৌ সুধিলে।

"নাই, মানে আচলতে মানে হেৰি...." পৰীৰ যেন কথাবোৰ লাগি লাগি ধৰিছে।

"কি? আচলতে কি? কোন আছিল ফোনত?" অভিমন্যু কিছু আগুৱাই আহিল।

"আচলতে মোৰ...." পৰীৰ কথা শেষ নহওঁতেই অভিমন্যুৰ ফোনটো বাজি উঠিল। প্ৰিয়াই কৰিছে। পৰী আৰু অভিমন্যু ডিপাৰ্টমেন্টৰ সমুখৰ বাছ ষ্টেণ্ডটোৰ ওচৰতে ৰৈ যোৱাৰ বাবে সন্ধ্যা আৰু প্ৰিয়াহঁত কিছু আগবাঢ়ি গ'ল। কেঁকুৰিটোৰ মূৰ পালেগৈ সিহঁত। তাৰ পৰাই ফোন কৰিছে। বিৰক্তিৰে ফোনটো ধৰি ক'লে সি,

"অঁ প্ৰিয়া ক"

"প্ৰিয়া নহয়, মইহে। কি মানে হা? আমিবোৰ আঁতৰি অহালৈ চাই হে আছিলি? ষ্টাৰ্ট হৈ গ'ল তোৰ পৰীৰ লগত। মোৰ মন চন বেয়া, অলপ বুজাওঁ কৰো সেইবোৰ হ'লে নাই। অকল চেনি খাবলৈ পালেই হ'ল" প্ৰিয়াৰ ফোনৰ পৰা সন্ধ্যাই কৰিছিল। অনৰ্গল কৈ গৈছিল তাই।

"ৰাহ, আজিকালি ইমান জল্দি ৰিক'ভাৰ কৰ নে তই? মই বোলো আকৌ দুদিন মান ট্ৰেজেদী ফালি কাকো মাত বোল নকৰাকে থাকিবি নেকি?" হাঁহি হাঁহি ক'লে সি।

"জানো, মই তেনেকে থাকিলেইতো তই ভাল পাৱ। যাৰ লগতে মন যায় চেনি মাৰিব পাৰিবি যে। অসভ্য, সোনকালে আহ। মই টাৰ্নিংটোৰ ওচৰতে আছোঁ। ভালে ভালে আহ।" কথাকেইটা কৈয়ে ফোনটো সন্ধ্যাই ফোনটো কাটিলে। পৰী ৰৈয়ে আছিল। ফোনটো থওঁতেই তাই মাত দিলে,

"তুমি কি মোক সন্দেহ কৰিছা অভি?"

"নাই কৰা, কিন্তু সন্ধ্যাৰ পিছত কোন লাগি আছে খুব সোনকালেই উলিয়াম।" কথাটো কৈয়ে চাইকেলত উঠি পেডেল ঘূৰালে সি। চলাবলৈ লৈ আকৌ ক'লে,

"আৰু এটা কথা পৰী, অভি বুলি মোক অকল সন্ধ্যাই মাতে। তাইৰ মুখতে এইটো শুনি ভাল লাগে মোৰ। আহিছোঁ।" কথাখিনি কৈ সি নৰ'ল।

kaushik

হোষ্টেলত সোমায়েই প্ৰিয়াৰ ৰুমৰ পৰা ফোনটো আনিলে সন্ধ্যাই। তাৰ পৰা আহি মুখ হাত কেইটা ধুই বিচনাত পৰি দিলে। দিনটোৰ অৱষাদ, বিষাদ সকলোৱে যেন ঘেৰি লৈছিল তাইক। চকু মুদি কিছু সময় পৰি থাকিল তাতেই তেনেকৈ। ফোনটো এবাৰ চালে, অভিমন্যুৰ দুটা আৰু অনুৰণৰ তিনিটা ফোন। তাইৰ বাবেই সিহঁতৰো কম চিন্তা হৈছিল নে আজি। বিদিশা আহি পোৱাই নাই। তাই পৰীক্ষা দিয়েই বাহিৰে খাবলৈ গ'ল চাগে বাহিৰত। পিছবেলাৰ পৰীক্ষা চাৰিটা মান বজালৈকে হয় বাবে বেছি ভাগেই পৰীক্ষা দি বাহিৰে কিবা এটা খাই আহে। কাৰণ পিছদিনাও পৰীক্ষা থকাৰ বাবে ৰুম আহি আকৌ এবাৰ ওলাই যাব নোখোজে কোনো। আজি নিমিষাইও লগ ধৰিছিল সন্ধ্যাক খাই আহোঁ ব'ল বুলি। তাইহে নগ'ল। যাব, অলপ সময় জিৰাই তাই অকলে যাব। অলপ এন্ধাৰ হওঁক। কিছু সময় বিচনাত পৰি সন্ধ্যা উঠি আহিল। তাইৰ প্ৰিয়

বগা চুৰিদাৰ যোৰ পিন্ধি দুপাত্তাখন মেৰিয়াই ওলাই আহিল তাই। অকলেই। পৰীক্ষাৰ সময় বাবে বাটত মানুহ দুনুহো এটা দুটা হে। অকলে অকলে সোৱণশিৰীৰ পৰা খোজ কাঢ়ি Shopping Complex পালেগৈ সন্ধ্যা। আগতে তাই ভাবিছিল, ইয়াত কিছুমানে অকলে অকলে কিয় ঘূৰি ফুৰে। এতিয়া তাই বুজিছে লাহে লাহে। অকলে ফুৰাৰো এটা মাদকতা আছে। ভিৰৰ মাজতো নিজক বিচৰাৰ মাদকতা, নিজক বুজাৰ মাদকতা। ঘৰলৈ মনত পৰিছিল খুব সন্ধ্যাৰ। এবাৰ মাকলৈ ফোনো লগালে, কিন্তু কথাবোৰ কৈ কেনেকৈনো মাকহঁতক চিন্তাত পেলাই সেইবাবেই নক'লে। সঁচাই, দিনটোৰ বিভিন্ন এশ এবুৰি চিন্তা মূৰত হাজাৰ কষ্ট মনত লৈও "মই ঠিকে আছোঁ মা" বুলি কওঁতে বুকুখন যিদৰে শিলতকৈও গধূৰ হৈ পৰে সেয়া এজনী হোষ্টেলত থকা ছোৱালীৰ বাহিৰে আন কোনে বুজিব। কেতিয়াবা কথা পাতি থাকোঁতেই চকুপানী বৈ আহে। মন যায় যেন চিঞৰি উঠিব, "মই বৰ কষ্ট পাইছোঁ অ' মা"। কিন্তু নাই, সেমেকা হাঁহিৰ উৰণিৰে ঢাকিব লাগে সকলো। কোনে কয় অভিনয় কৰিব সকলোৱে নোৱাৰে। বাস্তৱ জীৱনত আমি সকলোৱেই একো একোজন দক্ষ অভিনেতা নাইবা অভিনেত্ৰী। ঘৰলৈ মনত পৰা বাবেই সন্ধ্যা Shopping Complexৰ মহামায়া লৈ আহিল। তাত বকুল দাহঁতক লগ পালে অলপ ভাল লাগিব মনটো। এই চহৰত অকল মহামায়া দোকানখনেই আছে, য'ত ঘৰৰ অনুভৱ হয় সন্ধ্যাৰ। মহামায়াত সোমায়েই মনটো কিবা এটা সজীৱ হৈ গ'ল তাইৰ। প্ৰশান্ত দাই ধূপ জ্বলাইছিল। চিনাকি ধূপৰ গোন্ধ। ৰুমতো তাই আৰু বিদিশা বাই ৰাতিপুৱা ধূপ জ্বলাই। কিন্তু তথাপি ইয়াৰ এই পৰিৱেশটোৱে মনটো ভৰাই দিলে।

"কি অ' ছোৱালী? কেনে গৈছে পৰীক্ষা?" ভিতৰৰ চকীখনত বহি থকা বকুল দাই তাইক দেখি সুধিলে।

"গৈ আছে ভালেই বকুল দা। খবৰ কওঁক।" সমুখত থকা চকীখনত বহিল সন্ধ্যা।

"খবৰ কি আৰু? তহঁতবোৰ নাই এইকেইদিন। খালী খালী লাগি আছে আৰু।" হয়, পৰীক্ষাৰ কেইদিন কাৰো তেনেকৈ ওলোৱাৰ নহয় বাবেই বাকীবোৰৰ দৰে মহামায়াও উকা হৈ পৰে। আৰু এই যে বকুল দাহঁত। দিনটোত লাগিলে একোৱে বিক্ৰী নহওঁক কথা নাই, কিন্তু চিনাকি কেইটাক এবাৰ নেদেখিলে হে যেন বেছি বেয়া লাগে। এনেতে প্ৰশান্ত দাই চাহ আনিলে কাষৰ ভাবীৰ দোকানৰ পৰা।

"চাহ ননা হ'লেও হয় প্ৰশান্ত দা।" সন্ধ্যাৰ কিছু আফচোচ হ'ল।

Kaushik

"এহ থ ঔ। কিহৰ নো এইবোৰ ভাওনা কৰ। খা চাহ কাপ।" বকুল দাৰ ধমক খাই চাহত চুমুক মাৰিলে সন্ধ্যাই। তেওঁ আকৌ ক'লে,

"বাকী কচোন। মনটো দেখোন মাৰি আছ, কি হৈছে নো"

বকুল দাৰ কথাত আকৌ বুকুখন গধূৰ হৈ আহিছিল সন্ধ্যাৰ। এইয়াই চাগে আত্মীয়তা। নোকোৱাকৈ বুজি পোৱা আন্তৰিকতা। চাহ কাপ খাই খাই তাই দিনটোৰ ঘটনাবোৰ বকুল দাৰ আগত কৈ গ'ল।

"চাওঁক চোন বকুল দা, মইতো কেতিয়াও কাৰো বেয়া চিন্তা কৰা নাই। মানুহবোৰে এনেকুৱা কিয় কৰে মোৰ লগত।" শেষৰ ফালে মাতটো থোকা থুকি হৈছিল সন্ধ্যাৰ

কথাবোৰ শুনি বকুল দাই ক'লে,

"আচলতে মানুহে কাক হিংসা কৰে জান? যাৰ ওচৰত এনেকুৱা কিবা আছে, যিটো তেওঁৰ তাত নাই আৰু তেওঁ জানে যে হাজাৰ চেষ্টা কৰিলেও তেওঁ সেইটো জেগা ল'ব নোৱাৰে। গতিকে এইবোৰ ভাবি সময় নষ্ট নকৰিবি। নিজৰ কামবোৰ কৰি যাবি। জীৱনত আৰু বহুত কিবা কিবি দেখিবি। আৰম্ভ হৈছেহে।" সাংসাৰিক অভিজ্ঞতাৰে পুষ্ট বকুল দা। অনবৰতে জমনি কৰি থকা মানুহটোৱে এইদৰেই কিমান জনক যে বুজাই মনবোৰ ভৰাই ৰাখে। চাহকাপ খাই হ'ল সন্ধ্যাৰ।

"এতিয়া যা, কাইলৈৰ কাৰণে পঢ় গৈ। আৰু কিবা হ'লে মনটো বেয়া কৰিলে ইয়ালৈ আহিবি। ঘৰৰ মানুহ নাথাকিলেও তোৰ এই ককায়েৰতো নাই জানো?" বকুল দাৰ মৰম ভৰা কথাখিনিত চকুৰ কোণদুটি সেমেকি উঠিছিল সন্ধ্যাৰ। ইমানবোৰ ভালপোৱা মানুহ থাকোঁতে তাই কিয় বেয়াবোৰৰ কথা ভাবিবনো। মনটো ফৰকাল হোৱাত "আহোঁ" বুলি মাত লগাই ওলাই আহিল সন্ধ্যা। যাওঁতে বয়জ হোষ্টেলৰ ফালেৰে গৈছিল তাই। ফিল্ডখনত এতিয়াই দুই এজনে খেলি আছে। পৰীক্ষাৰ মাজতো কিছুমানে অভ্যাসটো এৰিব নোৱাৰি অলপ সময়ৰ বাবে হ'লেও খেলেহি। কাঞ্চনজংঘা হোষ্টেলৰ ওচৰ পাই ৰৈ গ'ল সন্ধ্যা। তাইৰ প্ৰিয় ঠাইটুকুৰা। পুলটো আৰু সেই নাহৰজোপা। পিছদিনা পৰীক্ষাৰ বাবে পঢ়িবলৈ আছিল যদিও অলপ সময় তাত বহাৰ লোভটো এৰিব নোৱাৰিলে তাই। সঁচাই এক মায়া আছে এই ঠাইকণত। এটা ফিৰফিৰিয়া বতাহ, গছৰ পাতবোৰ লৰাৰ শব্দ। ফিল্ডৰ পৰা উফৰি অহা অস্পষ্ট চিঞৰ। ৰাস্তাৰে অহা যোৱা কৰা মানুহৰ দুই এটা অশৃংখল কথা। পুলটোত বহি ফিল্ডলৈ চাই পঠালে তাই। ঠাণ্ডা পৰিছে লাহে। কুঁৱলীও পৰিবলৈ আৰম্ভ কৰিছে। কুঁৱলীবোৰে গোটেই

Kaushik

ফিল্ডখনক বগা চাদৰৰ দৰে আঁৱৰিছে। দৌৰি থকা ল'ৰাবোৰৰ দুই এটা মণিব নোৱাৰা চেহেৰাহে দেখি। চেঁচা পেলাই দিছে সন্ধ্যাৰ গাটোও। কুঁৱলীখিনি সন্ধ্যাৰ ৰীতা চৌধুৰী বাইদেউৰ "মায়াবৃত্ত"লৈ মনত পৰিল। তাত যে তেখেতে লিখিছিল, "চৌদিশে বাস্তৱক বিভ্ৰান্ত কৰা কুঁৱলী, যেন একোকে মণিব নোৱাৰি..."। কুঁৱলীবোৰে সঁচাই বিভ্ৰান্ত কৰে নে বাস্তৱক? বাহিৰৰ কুঁৱলীৰ জাল ফালিব পাৰি, কিন্তু মনৰ কুঁৱলীবোৰৰ জাল ফলাটো জানো সহজ?

কথাবোৰ ভাবি থাকোঁতেই পিছফালৰ পৰা কোনোবাই মাত লগালে,

"কি হ'ল কলিজা? ট্ৰেজেদী ফালি আছা নেকি?" মাতটোতেই গম পাইছে কোন হ'ব। ঘূৰি চালে সন্ধ্যাই। চাইকেলৰ আগফালে পলিথিন এটা ওলোমাই বিশেষ ভংগীমাত অভিমন্যু ৰৈ আছিল।

"নাই, এনেই বহি আছোঁ। ক'লে গৈছিলি তই?" পুলৰ পৰা উঠি আহি সন্ধ্যাই সুধিলে।

"Essential, পিছে তই ইয়াত বহি আছ যে। পঢ়া শুনা নাই নেকি হা?" দাবি দি উঠিল সি। কেতিয়াবা এই দাবি বোৰো ভাল লাগে।

"যাম অ'। পঢ়িবলৈ মনেই যোৱা নাই চোন।" শেঁতা হুমুনিয়াহ এটা সৰি পৰিল সন্ধ্যাৰ।

"ব'ল তোক এটা জাগাত লৈ যাওঁ। খাইও ল'বি কিবা এটা।" চাইকেলত উঠি অভিমন্যুয়ে ক'লে।

"কি জাগা লে নিয় এতিয়া?" সন্ধ্যা যেন আচৰিত হৈছিল। তাইক আৰু আচৰিত কৰি সি ক'লে,

"KFC"

"KFC? তেজপুৰত কি KFC খুলিছে নেকি?"

"তেজপুৰত মানে আমাৰ কেম্পাছতেই। উঠ চাইকেলত।" সি সাজু হ'লেই। কেম্পাছত KFC? কেতিয়া খুলিলে। আৰু ক'ত? তাইতো কাৰো মুখত শুনা নাই। এইটোৱেহে ক'ত দেখিলে বা। যাবলৈ বৰ এটা মন নাছিল যদিও KFC ক'ত খুলিছে চাবলৈকে অভিমন্যুৰ চাইকেলত উঠিল সন্ধ্যা। কাঞ্চনজংঘা, নীলাচল আৰু চৰাইদেউ পাৰ হৈ পাটকাইৰ ৰাস্তাটোৰে সোমাই গ'ল সিহঁত। এই হোষ্টেলৰ নামবোৰ বৰ ভাল লাগে সন্ধ্যাৰ। বেছিভাগ ল'ৰা হোষ্টেলৰ নাম পাহাৰৰ নামেৰে আৰু বেছি ভাগ ছোৱালী হোষ্টেলৰ

Kaushik

নাম নদীৰ নামেৰে নামাকৰণ কৰা। যেনে, নীলাচল, কাঞ্চনজংঘা, পাটকাই আদি আৰু আনহাতে সোৱণশিৰী, ধনশিৰী, কপিলী আদি। বাকী তিনিখন বয়জ হোষ্টেল ৰাস্তাৰ ফালে মুখ কৰি আছে, কিন্তু পাইকাই আছে পথালিকৈ। অৰ্থাৎ গলীটোৰে আগবাঢ়ি গ'লে হে পাটকাইৰ মুখখন দেখা যায়। পাটকাইৰ কাষতে কোণীয়াকৈ ৰাস্তাৰ ফালে মুখ কৰি আছে এখন গাৰ্লছ হোষ্টেল। নৱ ছাত্ৰী নিৱাস নাইবা নিউ ৱ'মেনছ হোষ্টেল। চন্দ্ৰালী বাহঁতৰ হোষ্টেলটো। সন্ধ্যাই মাজে মাজে ভাৱে, এইখনৰো এটা নাম দি দিব লাগিছিল। জাঁজী নাইবা জীয়াভৰলী, নহ'লে কামেং বা অন্য কিবা। পাটকাইৰ সমুখতে চাইকেলখন ৰখালে অভিমন্যুয়ে।

"ঐ গৰু, ইয়াত ক'ত KFC দেখিছ তই?" সন্ধ্যাৰ খংহে উঠিছিল। এইটোৰে এনেই এনেই আনিলে তাইক।

"চুপ চাপ আহি থাক মোৰ লগত" বুলি পাটকাইৰ আগেৰে গাৰ্লচ হোষ্টেলটোৰ ফালে আগবাঢ়িল সি। পিছে পিছে সন্ধ্যা। নৱ ছাত্ৰী নিৱাসৰ সমুখত পাটকাইৰ চাইকেল ষ্টেণ্ডটোৰ কাষতে এটা বাঁহৰ ঘৰ। সমুখৰ সৰু বাৰান্দাখিনিত গোলকৈ একোখন টেবুল আৰু কেইখনমান টুল। ভিতৰত এখন নে দুখন বেঞ্চ। লগতে চুকৰ ফালে এটা গেছ আৰু ৰন্ধা বঢ়া কৰা ঠাই। সমুখত বিস্কুট, চিপচ সজাই থোৱা দোকানবোৰত থকাৰ দৰে দীঘলীয়া ওখ ওখ বাকচবোৰ। ভিতৰত মানুহ এজনে গেছত কিবা বনাই আছে। বাৰান্দাৰ সোঁফালৰ টেবুলখনত দুই এটা ল'ৰা। ভিতৰৰ টেবুলত দুজনীমান ছোৱালী। দোকান নে হোটেল একে আষাৰে ক'ব নোৱাৰি। সৰু যদিও আটোম টোকাৰিকৈ ৰাখিছে। তাৰ কাষতে থকা ওখ কৃষ্ণচূড়া জোপাই ঢাকি ৰখা বাবে ৰাস্তাৰ পৰা ইয়াত এইখন থকাৰ উমানেই পোৱা নাযায়।

"এইখনেই KFC" অভিমন্যুয়ে সন্ধ্যালৈ চাই ক'লে। টিঙিচকৈ খংটো উঠি আহিছিল তাইৰ। ফটুৱামিৰো সীমা থাকে।

"তই সঁচাকে বলিয়া হ'লি নে কি বাৰু?" তাইৰ কথাত হাঁহি হাঁহি সি কৈছিল,

"আৰে, মই তোক মিছা কোৱা নাইতো। এইজন আমাৰ কলিতা দা।" ভিতৰৰ মানুহজনলৈ আঙুলিয়াই সি আকৌ ক'লে,

"আৰু এইখনেই আমাৰ KFC মানে Kalita Food Corner"

Kaushik

ভিতৰৰ মানুহজনেও সিহঁতলৈ চাই হঁহাৰ দৰে কৰিলে। খঙৰ মাজতো হাঁহি উঠিল সন্ধ্যাৰ। কি যে মানে। পিছে হয়, তেজপুৰ ইউনিভাৰ্চিটিৰ বিখ্যাত KFC সেইখনেই। বিশেষকৈ পাইকাই আৰু নিউ ব্ৰ'মেনছৰ ল'ৰা ছোৱালীবোৰৰ বেছি প্ৰিয় সেই খন। অৱশ্যে কাষৰে চৰাইদেউ আৰু পাটকাইৰ পিছফালে থকা শৰাইঘাট বয়জ হোষ্টেলৰ পৰাই প্ৰায় ভাগ ল'ৰাই ইয়াত খাবলৈ আহে। KFC ৰ Special chicken maggie। অভিমন্যুয়েও সিহঁতলৈ অৰ্ডাৰ দিলে। অভিমন্যুয়ে তাইক যি যি বৰ্ণনা দিলে তাৰ মূলভাৱ এইটোৱেই যে পাটকাই নাইবা নিউ ব্ৰ'মেনছত থাকি যদি তুমি KFC ৰ চিকেন মেগী খোৱা নাই, তেন্তে তুমি বাদ আৰু। নহ'ব তোমাৰ একো। KFC ৰ ভিতৰত থকা সৰুকৈ স্পীকাৰটোত গানো লাগি আছে কিবা এটা। কাষৰ কৃষ্ণচূড়া জোপাৰ পৰা বতাহো মাৰি আছে দুই এচাটি। চাইকেল ষ্টেণ্ডটোৰ সিফালে থকা খালী বননি খিনিৰ মাজত উৰি ফুৰিছে কেইটামান জোনাকী পৰুৱা। এইখিনিত লাইটটো পাতল পোহৰৰ বাবে জোনাকী কেইটা বৰ ধুনীয়াকৈ জিলিকিছিল। তাৰ পৰা দুই এটা আহি সন্ধ্যা হঁতৰ চৌপাশে উৰিছিল। সন্ধ্যাৰ ভাল লাগিছিল পৰিৱেশটো। এনেতে তাইৰ ফোনটো বাজিল। বিদিশা বাই কৰিছে,

"অঁ বিদিশা বা, কোৱা।"

"ক'ত আছ তই?" বাৰ মাতটো অলপ গহীন।

"মই KFC মানে এই পাটকাইৰ ওচৰত বা। কোৱা চোন।" সন্ধ্যাই ক'লে।

"যিমান পাৰ সোনকালে হোষ্টেল আহ।" বিদিশাৰ কথাত অলপ আচৰিত হৈছিল সন্ধ্যা। কি হ'ল বা। এইটো সুৰতটো আগতে কথা নকয়।

"কিয় বা, কিবা প্ৰব্লেম?" ৰ'ব নোৱাৰি সুধিয়ে দিলে তাই।

"আহিলে গম পাবি। সোনকালে আহ।" বুলি ফোনটো কাটি দিলে বিদিশাই। সন্ধ্যাৰ চিন্তা হ'ল। কি হ'ল বাৰু? আগতেতো এনেকুৱা নকৰে বায়ে। এনেতে কলিতা দাই গৰম গৰম চিকেন মেগী দিলেহি। খাবলৈ ল'লে সিহঁতে। সঁচাই কৈছিল অভিমন্যুয়ে। কি সুন্দৰ সোৱাদ।

"কেনে পাইছ?" সি সুধিলে।

"মজা ৰে। সঁচাই ভাল লাগিছে।" খাই খাইয়ে তাই ক'লে।

"কৈছিলো না"

Kaushik

মেগীৰ লোভলগা গোন্ধ, কৃষ্ণচূড়াৰ বতাহজাক, চেঁচা চেঁচা লগা কুঁৱলীখিনি আৰু জোনাকীৰ পোহৰৰ মাজতে পাৰ হৈছিল ধুনীয়া সন্ধিয়াটো। খাই হোৱাত সন্ধ্যা যাবলৈ ওলাল। অভিমন্যুয়েও খোজকাঢ়ি লাহে লাহে তাইক অলপ আগবঢ়াই দিলেগৈ। বতাহ জাক মাৰিয়েই আছিল। কুঁৱলীৰ বগা চাদৰখনো লাহে লাহে বেছি ডাঠ হৈ আহিছিল। জোনটো ধোঁৱাৰ দৰে অস্পষ্ট হৈ পৰিছিল। বাটটোৰ কাষৰ জোনাকীকেইটা চঞ্চল হৈ উৰিছিল। হয়তো শৰৎ অহাৰ আগলি বতৰা বিয়পিছিল। KFCৰ ভিতৰৰ স্পীকাৰটোত পাতল ভলিউমত বাজি আছিল,

"শাৰদী কোমল জোনাক মায়াৰে মন উতলা কৰে....."

(আগলৈ)

#নিৰিবিলি

Part 33

Kaushik

সন্ধ্যাক পঠিয়াই পাটকাই লৈ উভতি আহিল অভিমন্যু। হোষ্টেলত সোমোৱা দুৱাৰখনৰ মুখতে ৰৈ আছিল প্ৰিফেক্ট দেৱা দা।

"পৰীক্ষাৰ মাজত ছোৱালীৰ লগত ঘূৰি আছ?" গলগলীয়া মাতটোৰে দেৱা দাই কৈছিল।

"নহয় মানে দেৱা দা, তাইৰ ভোক লাগিছিল কাৰণে মই ইয়ালেকে লৈ আনিলোঁ।" তলমূৰ কৰি উত্তৰ দিলে অভিমন্যুয়ে। জোৰকৈ অহা হাঁহিটো সামৰি ক'লে দেৱা দাই,

"ছোৱালীক খোৱাবলেও কলিতাৰ দোকান হে পালি। বৰ কনজুচ বয় ফ্ৰেণ্ড তই।"

"তাই মোৰ গাৰ্ল ফ্ৰেণ্ড নহয়তো। এনেই মানে.." অভিমন্যুৰ কৈ নহওঁতেই দেৱা দাই আকৌ ক'লে,

"হ'ব হ'ব থ। তোতকৈ পাঁচ বছৰ ডাঙৰ মই। কাক ফাঁকি দিছ। হ'ব দে, মিলিছও দুইটা। এতিয়া পঢ় গৈ যা।"

অভিমন্যু একো নকৈ আঁতৰি গ'ল। কৈও লাভ নাই বুলি জানে সি। বহুতেও ভাবে সি আৰু সন্ধ্যা প্ৰেমৰ সম্পৰ্কত থকা বুলি। কিমানক বুজাবনো সি। সেইবাবে একো নোকোৱা হ'ল। হয়, তাৰো সন্ধ্যাক ভাল লাগে। কিন্তু প্ৰেম? তাৰ জীৱনত প্ৰেম

সম্ভৱ জানো? আকৌ? আৰু একো ভাবিব নোৱাৰা হয় সি। এটা শেঁতা হুমুনিয়াহ পেলাই ৰুমত কিতাপ খন মেলি লয়।

সোৱণশিৰীত সোমায়েই কিছু আচৰিত হ'ল সন্ধ্যা। কমন ৰুমত ছোৱালীবোৰৰ ভিৰ। কিহৰ বা? সিহঁত ছোৱালীবোৰে সদায় কমন ৰুমত attendance দিব লাগেহি। অৱশ্যে assistant prefect ৰ ৰুমমেট বুলি সন্ধ্যা কেতিয়াবা নগ'লেও কোনেও একো নকয়। এনেও সোৱণশিৰী বৰঘৰৰ ভিতৰত সন্ধ্যাৰ সুকীয়া আসন আছে। কিন্তু attendance সদায় চাৰে ন বজাত হে লয়। আজি এই সাতটাতে কি হ'ল। তাতে সকলোৰে পৰীক্ষা। তাই কমন ৰুমত নোসোমাই চিধা ৰুমৰ ফালে গ'ল। বিদিশা বা চাগে তাতেই আছে। তাইৰ পৰাহে গম পোৱা যাব। ৰুমত সোমাই আৰু আচৰিত হ'ল সন্ধ্যা। বিদিশাৰ লগতে ৰীণা বা, দীপা বা ইঁতো আছিল। চিঞৰি চিঞৰি বিদিশাই গালি পাৰি আছিল,

"কি ভাবিছে মানে? ইমান দিনে সোৱণশিৰীত এনেকুৱা ঘটনা হোৱা নাই। পৰীক্ষাৰ সময়ত ৰুমত বন্দী কৰি থ'ব? তাকো মোৰ ৰুমমেটক? Assistant Prefect ৰ ৰুমমেটৰে যদি এই অৱস্থা হয়, তেন্তে বাকী ছোৱালীৰ কি হ'ব?"

এইবাৰ ৰীণা বাই ক'লে,

"সঁচাকৈ। ইমান সাহ কেনেকৈ কৰিলে? খাটাং কোনোবা ফাৰ্ষ্ট ইয়েৰৰ ছোৱালী। সোৱণশিৰীৰ বৰঘৰলৈ আঙুলি টোঁৱাবলৈ কাৰ ইমান দম হ'ল বে?" কথাতে গম পাই বা খুব খঙত আছে।

"এইবোৰ কথা বাহিৰত ওলাব লাগিলে কি হ'ব বাৰু? চবতে সোৱণশিৰী অন দা টপ বুলি চিঞৰি থাকি যদি ভিতৰত এইচব হৈছে বুলি বেলেগ হোষ্টেলত গম পাই মান সন্মান একো নাথাকিব আৰু।" ৰুমতে খোজ কাঢ়ি দীপা বাই ভোৰভোৰাই আছিল। কথাবোৰ শুনি দুৱাৰ মুখতে ৰৈ গৈছিল সন্ধ্যা। তাৰ মানে তাইৰ কথাবোৰ সকলোৱে গম পালে? পাবই আৰু। মাহীহঁতে নক'বনে? কিন্তু সেইটো লৈয়ে ইমান ছিৰিয়াছ ইচ্যু হ'ব বুলি সন্ধ্যাই নিজেও ভবা নাছিল। এনেতে ৰীণা বাই দেখিলে তাইক,

"এইজনী আহিলে সন্ধ্যা। ঐ, বাহিৰত কি ৰৈ আছা ভিতৰলৈ আহা।"

সন্ধ্যা সোমাই গ'ল। দীপা বাই আগবাঢ়ি গৈ দুৱাৰৰ হুকটো লগাই দিলে। তিনিওজনী প্ৰিফেক্টৰ এতিয়া গোপন মেল বহিব বুলি বুজিলে সন্ধ্যাই। আগতেও এনেকুৱা মেলত

Kaushik

তাই অংশীদাৰ হৈ পাইছে বিদিশাৰ ৰুমমেট হোৱাৰ খাতিৰতে। সন্ধ্যা ৰুমত সোমোৱাৰ লগে লগেই আৱেগিক হৈ বিদিশাই সাৱটি ধৰিলে,

"সন্ধ্যা অ', মোক একদম বেয়া নাপাবি অ'। মই যদি দিন ডাল লাইব্ৰেৰীত নাথাকিলোঁ হয়, তোৰ এইটো অৱস্থা নহ'লহেঁতেন আজি।"

"বা, কি কৈছা এইবোৰ। ইয়াত তোমাৰ কি দোষ কোৱা চোন। তুমি কিবা জানিছিলা নেকি যে মোৰ এনেকুৱা হ'ব?" সন্ধ্যাৰো মাতটো কঁপিছিল। সঁচাই ইউনিভাৰ্চিটীয়ে এই কেইটা মাহতে বহুত শিকাইছে তাইক। জীৱনৰ কিছু বেয়া ৰূপো দেখুৱাইছে। কিন্তু তাৰ মাজতো বিদিশাহঁতৰ দৰে সঁচা মৰমৰ এটি সৰু পৰিয়ালো উপহাৰ পাইছে তাই। জীৱনটোত চহকী হ'বলৈ মানুহৰ নিভাঁজ মৰমবোৰেই যথেষ্ট নহয় জানো?

"কিন্তু বা, কমন ৰুমত কি হৈছে? ছোৱালীবোৰ চব তাত গোট খাইছে যে। এতিয়াই attendance ল'ব নেকি?"

"নহয় সন্ধ্যা। তোমাৰ অথনিৰ কেচটো বহুত ডাঙৰ হৈ গৈছে। আনকি ৱাৰ্ডেন মেমেও গম পাইছে। হোষ্টেলত ছোৱালীক পৰীক্ষা দিব নোৱাৰাকৈ হুক মাৰি থৈছে বুলি শুনি জুপিতৰা মেম খঙত জ্বলি আছে। মেমেই মিটিং দিছে। অলপ পাছতে পাবহি। কি কৰে আজি ঠিক নাই।" ভয়ে ভয়ে দীপা বাই ক'লে।

সন্ধ্যা আচৰিত হৈছিল। তেন্তে কথাটো ইমান দূৰ পালেগৈ? অৱশ্যে সেইটো কোনো সৰু কথাও নহয়। তথাপি এই পৰীক্ষাৰ মাজত এইবোৰ উচিত হৈছে জানো। কিন্তু ৱাৰ্ডেন মেমে কৈছে যেতিয়াতো উপায়ো নাই।

"কিন্তু বা, কথাবোৰ মেমে কেনেকৈ গম পালে? আমি হোষ্টেলৰ মাজতে ঠিক কৰিব পাৰিলোঁ হয়তো।" সন্ধ্যাৰ প্ৰশ্নত ৰীণাই মুখ জোকাৰি কৈ উঠিল,

"আৰু কোনে ক'ব? আমাৰ সেই বুঢ়ী ছাগলী। দাঁতত ভাত লাগিলেও তাই মেমলৈ ফোন মাৰিব।"

ৰীণাৰ বুঢ়ী ছাগলী মানে ছিকিউৰিটী মাহী। হয়, অথনি তাইক সেইটো অৱস্থাত দেখি মাহীয়ে কৈছিল ইয়াৰ বিচাৰ কৰিব বুলি। কিন্তু এনেকৈ ৱাৰ্ডেন মেমক মতাৰ কথাত আনহে নালাগে সন্ধ্যাৰ নিজৰেই ভয় লাগিল।

"মোৰ ৰুমমেটক ৰুমত বন্দী কৰি থোৱাটো দাঁতত ভাত লগাৰ কথা নহয় ৰীণা। ভালেই কৰিছে মাহীয়ে ৱাৰ্ডেনক কৈ। ধৰা পেলাইহে এৰিম আজি কালপ্ৰিট কোন।"

Kaushik

বিদিশাৰ খং মাৰ যোৱাই নাই। ৰীণা বাই আৰু একো নক'লে। সন্ধ্যাই এবাৰ তাইলৈ চালে। এই যে বাজনী, কেইদিন হৈছে নো লগ পোৱা। দুই কি তিনি মাহ। এই কেইদিনতে তাইৰ নিজৰ বায়েক যেন হৈ পৰিছে। যেন তাইৰ বিপদত আগত থিয় হ'ব। হোষ্টেলৰ বাহিৰে এই আত্মীয়তা আন ক'ৰবাত থাকে নে? দীপা বাৰ মোবাইল বাজিল। মেমে ফোন কৰিছে। ঘৰৰ পৰা ওলালে। পাবহি এতিয়া। সিহঁত চাৰিওজনী ওলাই কমন ৰুম পালেহি। সোৱাণশিৰীৰ প্ৰথম মহলাত কমন ৰুমটো। প্ৰকাণ্ড ৰুমটোৰ এচুকত জমা হৈ আছে চকীবোৰ। ৱালখনত লাগি দুখন টেবুল। ৱালত আগৰ পুৰণা ছোৱালীৰ গ্ৰুপ ফটো দুখনমান আছে। বিদিশাহঁতে হলটোৰ অ'ত ত'ত থিয় হৈ থকা ছোৱালীবোৰক বহিবলৈ ক'লে। বহুতে গম পাইছিলেই যদিও ৰীণা বাই থূলমূলকৈ কথাখিনি ক'লে।

"সন্ধ্যা, তোৰ লগৰ প্ৰিয়া ক'ত? তাই নাই যে?" প্ৰিয়াক নেদেখি বিদিশাই সুধিলে। সন্ধ্যাইও ছোৱালীবোৰৰ মাজত বিচাৰি চালে। প্ৰিয়া নাই তাত। তাই ফোন লগালে।

"অঁ সন্ধ্যা, মই লাইব্ৰেৰীত আছো, কচোন।" ছোৱালীবোৰৰ মাতত নুশুনাৰ বাবে ফোনটো লাউডত লৈছিল সন্ধ্যাই। প্ৰিয়াৰ কথাত ফোনটো বিদিশা বাই কাঢ়ি ল'লে,

"তোমাকতো মই অথনিয়ে মিটিং হ'ব বুলি কৈছিলোঁ। তেও তুমি লাইব্ৰেৰী পালাগৈ যে? এতিয়াই হোষ্টেল আহা।" বিদিশাই কিছু টানকৈয়ে ক'লে।

"নহয় মানে বা, কাইলে বৰ টান পেপাৰ এখন আছে" প্ৰিয়াৰ কথাত আৰু যেন খং উঠিছিল বিদিশাৰ।

"তোমাৰ বান্ধৱীৰ কাৰণে আজি মিটিং দিয়া হৈছে প্ৰিয়া। কাইলৈ একেটা ঘটনা তোমাৰ লগতো হ'ব পাৰে। সোনকালে হোষ্টেল আহা।" ফোনটো কাটিলে তাই। প্ৰিয়া এই সময়ত লাইব্ৰেৰী যোৱা কথাটোত সন্ধ্যাও আচৰিত হ'ল। বাৰু যি নহওঁক, কিছু সময়ৰ পাছত হোষ্টেল পালেহি তাই। ৱাৰ্ডেন মেম আহি পোৱাত মিটিং আৰম্ভ হ'ল। বিশেষ পাতনি নেমেলি মেমে গোটেই ঘটনাটোৰ বিষয়ে চমুকৈ ক'ল। সন্ধ্যাক ক'বলৈ কোৱাত তাইও কৈ গ'ল। তাৰ পাছত মেমে আকৌ ক'লে,

"এতিয়া মোক কোৱা সেই খিনি সময়ৰ ভিতৰত হোষ্টেলত কোন কোন আছিলা?"

বহু কেইজনী ছোৱালীয়েই হাত দাঙিছিল। কিন্তু সিহঁতৰ মাজত সন্ধ্যাহঁতৰ wing ৰ এজনীও নাছিল। তেনেতে প্ৰিয়াই নিজেই আগবাঢ়ি আহি ক'লে,

Kaushik

"সন্ধ্যাৰ ৰুমলৈ মই আৰু পৰী গৈছিলো মেম। কিন্তু হুক মাৰি থোৱা দেখি গুছি আহিলোঁ। সেইটোৱে ভুল হ'ল আচলতে আমাৰ।"

"পৰী কোন?" মেমে লগে লগে সুধিলে।

"কপিলীৰ ছোৱালী। আমাৰ ক্লাছমেট।" প্ৰিয়াৰ উত্তৰত কিছু মনে মনে ৰ'ল মেম। তাৰ পাছত আকৌ আৰম্ভ কৰিলে,

"এটা কথাটো স্পষ্ট, যে সন্ধ্যাৰ ৰুমৰ দৰ্জা কেতিয়াও নিজে নিজে বন্ধ নহয়। গতিকে কোনোবাই যে ইচ্ছা কৰি কৰিছে সেইটো চিয়'ৰ। গতিকে সোনকালে সৈ কাঢ়া কোনে কৰিছা, প্ৰথম বাৰ বুলি ক্ষমা কৰি দিয়া হ'ব। কিন্তু যদি আমি উলিয়াবলৈ হয়, তেন্তে হোষ্টেলৰ পৰা ওলাব লাগিব।"

মেমৰ কথাত ছোৱালীবোৰে ইজনীয়ে সিজনীৰ মুখলৈ চাইছিল। মুখবোৰত ভয়ৰ চাপ আহি পৰিছিল সকলোৰে। কোনেও একো কথা কোৱা নাছিল। কিবা ভয় লগা নীৰৱতাই চানি ধৰিছিল কমন ৰুমটো। কিছু সময়ৰ পাছত মেমে আকৌ ক'লে,

"কি হ'ল? নোকোৱা মানে? তেন্তে আজি কোনো ৰুম যাব নালাগে। ইয়াতে থাকা।"

এইবাৰ অলপ গুণগুণনি আৰম্ভ হ'ল। হয়তো পৰীক্ষাৰ আগদিনা এইবোৰ বহুতেই ভাল পোৱা নাছিল। কিন্তু খঙত গম্ভীৰ হৈ বহি থকা মেমক কিবা কোৱাৰ সাহস কাৰো নাছিল। শেষত উপায় নাপাই সন্ধ্যায়েই আগবাঢ়ি গ'ল।

"মেম, কামটো কোনোবা এজনীয়ে হে কৰিছে। তাৰ বাবে হোষ্টেলৰ গোটেইবোৰ ছোৱালীক এনেকৈ ৰখাটো ভাল নহ'ব নেকি। সকলোৰে পৰীক্ষাও আছে। আৰু চোৰে জানো নিজে চোৰ কৰিছোঁ বুলি ক'ব মেম? এজনীৰ শাস্তি আপুনি চবকে নিদিব।" সন্ধ্যাৰ কথাত কিছু শান্ত হ'ল ৱাৰ্ডেন।

"ঠিক আছে। কিন্তু এটা কথা মনত ৰাখি লোৱা সকলোৱে, আজিৰ পাছত যদি কেতিয়াবা কাৰোবাৰ লগত এনেকুৱা হয়। তেতিয়া কিন্তু মই কাকো ক্ষমা নকৰোঁ। সন্ধ্যা, ভালে থাকিবা।" কথাখিনি কৈ বিদিশাহঁতৰ লগত সৰু সৰুকৈ দুই এটা কথা পাতি মেম ওলাই গ'ল। মেম যোৱাৰ পাছত দীপা বাই এইবোৰ কথা বেলেগ হোষ্টেলৰ আগত নুলিয়াবলৈ ক'লে। নিজৰ ঘৰত কিবা কিবি সমস্যা হ'ব পাৰে। কিন্তু বাহিৰৰ মানুহৰ আগত এইবোৰ উলিয়াবলৈ কোনো দৰকাৰ নাই। এইদৰেই কিবা কিবা বুজাই সকলোকে যাবলৈ দিলে। সকলোৰে লগতে সন্ধ্যাহঁতো গৈ ৰুমত সোমালগৈ।

kaushik

ভাত খাই আহি ময়ূঁৰৰ ৰুমত পঢ়িবলৈ লৈও অস্থিৰ হৈ আছে অভিমন্যু। নিজৰ ৰুমত নপঢ়ো বুলিয়ে সি ইয়ালৈ আহিল। কিন্তু ইয়াতো মন বহাব পৰা নাই। কি হৈছে তাৰ। কোনো কাৰণ নোহোৱাকৈ মনটো অশান্ত হৈ আছে। একোতে মনটো বহা নাই। শেষত চিঞৰাৰ দৰেই কৈ উঠিল সি,

"কি হৈছে বে মোৰ"

পঢ়াৰ পৰা মূৰ দাঙি ময়ূঁৰে সুধিলে,

"কিয়? কি হ'ল?"

"একো পঢ়িব পৰা নাই। একোতে concentrate কৰিব পাৰা নাই। কিবা অশান্তি নিচিনা লাগি আছে। একো কাৰণ নাই, তেও মানে..." তাৰ কথাৰ আধাতে ময়ূঁৰে কৈ উঠিল,

"কাৰণ নোহোৱাকৈ একো নহয় পৃথিৱীত। প্ৰত্যেকটোৰে কিবা নহয় কিবা কাৰণ থাকে।"

"ফিল'চফী বাদ দে। মোৰ কেলে এনেকুৱা লাগিছে। কিবা ভয় ভয় নিচিনা। এনেকে হ'ল কাইলে ফেইল মই।" কথাখিনি কৈ কৈ বটলটো খুলি পানী অলপ খালে অভিমন্যুয়ে। শান্ত মাতেৰে ময়ূঁৰে কৈ গ'ল,

"তোৰ সন্ধ্যাক লৈ চিন্তা হৈছে। তাইৰ আজিৰ ঘটনাটো পাহৰিব পৰা নাই তই। এনেকুৱা ভাবি আছ যে আকৌ কিবা বেয়া হ'ব নেকি। সেই কাৰণে ক'তো মন বহা নাই তোৰ।"

ময়ূঁৰৰ কথাখিনিয়ে ভবাই তুলিলে অভিমন্যুক। হয়তো, এইটোৱেইতো কথা। ক'ৰবাত নজনাকৈয়ে সন্ধ্যাৰ কথাই অশান্তি দি আছে তাক। কোনে তাইৰ লগত এইবোৰ কৰিছে সেইটো লৈয়ে ভাবি আছে সি। আচৰিত ধৰণেৰে সি নিজেই নিজৰ বিষয়ে নজনা কথাটো ময়ূঁৰে দেখুৱাই দিলে। এই কাৰণেই সকলোতকৈ বেলেগ এই ল'ৰাটো।

"এটা কাম কৰ, সন্ধ্যালৈ ফোন এটা কৰি কথা পাত। অলপ ভাল লাগিব তেতিয়া।" আকৌ ময়ূঁৰে ক'লে। অভিমন্যুয়ে সন্ধ্যালৈ ফোন লগালে।

"ঐ, ক" লগে লগেই ধৰিলে তাই।

"কি কৰিছ?" সি সুধিলে।

Kaushik

"পঢ়ি আছোঁ। কচোন।" তাই যেন অলপ আচৰিতো হৈছিল সি অসময়ত ফোন কৰাত।

"ঠিকে আছতো তই?" অলপকৈ কঁপিছিল যেন তাৰ মাতটো। প্ৰকাশ পাইছিল আকুলতা।

"আছোঁ অ' বাবা। তই এনেই টেনশ্যন লৈ আছ। পঢ় তইও ভালকে।" হঁহাৰ দৰে কৈছিল তাই।

"হ'ব দে" বুলি ফোনটো কাটিলে সি। হয়, সঁচাকৈ পাতল লাগিল কিবা মনটো। ময়ূঁৰলৈ চালে। বহীখন মেলি পঢ়ি আছে সি একান্তমনে। এই যে ল'ৰাটো। অভিমন্যুৰ বিষয়ে অভিমন্যুতকৈও যেন বেছিকৈ জানে সি। এটা পাতল মন লৈ পঢ়াত লাগিল অভিমন্যু।

ফোনটো থওঁতেই হাঁহি এটা ওলমি ৰৈছিল সন্ধ্যাৰ মুখত। অভিয়ে এতিয়াও তাইৰ কথাই ভাবি আছে মানে। তাৰ মাতটোতে তাই গম পাইছে সি যে তাইৰ চিন্তাতে আছে। ইমান চিন্তা কোনে কাৰ বাবে কৰে বাৰু? কেনেবাকৈ জুৰিহঁতে জোকাই থকা কথাবোৰ সঁচা নেকি আকৌ? যাযাবৰী ভাৱবোৰ মনৰ পৰা জোকাৰি আকৌ পঢ়াত মন দিলে তাই। ৰাতি প্ৰায় এটা বাজিছিল। পঢ়া সামৰি শুবলৈ লৈছিল সন্ধ্যাই। বিদিশা বা শোৱা নাছিল বাবে তাইৰ ফালৰ লাইটটো জ্বলি আছিল। খিৰিকীখন আধা খোলাকৈ আছিল। পাতলকৈ বতাহ এচাটি মাৰি আছিল। খিৰিকী খনৰ মূৰতে থকা কাঞ্চনজোপাৰ মাজেৰে জিলিকি আছে জোনটো। বিচনাত শুই অভ্যাসবশতঃ মোবাইলটো টিপি থাকোঁতেই মেচেজ আহিল সন্ধ্যাৰ হোৱাটছ এপত।

"Poha hol?" ওপৰত ভাল লগা নামটো – অনুৰণ।

"Hol ge ru, tumar?" তাইও দিলে।

"Hoise ge aru" লগে লগেই তাৰ reply।

তাই তাক এবাৰো একো নাই কোৱা আজিৰ ঘটনাটোৰ বাবে। সি কি বুলি ভাবিছে চাগে। তাই আচলতে কিদৰে তাক ধন্যবাদ দিব ভাবিয়ে পোৱা নাই। তথাপি লিখিলে তাই,

Kaushik

"Aji tumi noha hole mur ki hol heten thik nai.. tumak keneke thanks kou najanu.. but hosa k Ran, u r the saviour" বেছি পেন পেনীয়া নিচিনা হ'ল নেকি বাৰু? মেচেজটো পঠিয়াই আকৌ ভাবিলে তাই। এহ, একো নহয়। সি বুজি পাব। তাই বহুত কিবা কিবি যে ক'ব বিচাৰিছে, কিন্তু একো ওলোৱা নাই।

"Eku nai, asu moi" সি দিছে।

আকৌ কিবা ভাল লগা এমুঠি বিয়পিছিল। নাম নথকা ভাল লগা। তাই আকৌ লিখিলে,

"Kintu tumi keneke janila j moi room t lock hoi thakim.." সঁচাকৈ এই কথাটো তাই অথনিও ভাবিছিল। পৰীক্ষা দি থাকোঁতেও ভাবিছিল। সেইবাবেই সুধিয়েই দিলে তাক।

"Janilu aru" তাৰ সেই একেই চমু উত্তৰ।

"Ki janilu aru.. kua na, moi nukua kei keneke janila mur kiba problem hoisil buli" সন্ধ্যাই যেন জানিহে এৰিব আজি।

"Buku khon kopi asilu khub dhop dhopai, so" অনুৰণৰ মেচেজটোৱেও বুকুখন কঁপাইছিল সন্ধ্যাৰ, নজনাকৈয়ে। তাইৰ বিপদত তাৰ বুকু কিয় কঁপিছিল? তাকো একো গম নোপোৱাকৈ? এইবোৰ তাই চোন চিৰিয়েল চিনেমাতহে দেখিছে। বাস্তৱতো এইবোৰ হয় নেকি? কিন্তু কিয়? তাই আকৌ দিলে মেচেজ,

"Kio?"

মেচেজটো seen কৰি অলপ সময় ৰ'ল অনুৰণ। সন্ধ্যাই ভাবিছিল সি চাগে আৰু নিদিয়ে একো। অলপ সময়ৰ পাছত দিলে,

"Sob kio re answer nathake Sandhya, xui jua.. exam ase morning."

মেচেজটো চাইয়ে ৰৈ গৈছিল সন্ধ্যা। বুজা নুবুজা এগালমান অনুভূতিয়ে চুই গৈছিল তাইক। সিফালে অনুৰণ অফ লাইন হৈছিল। মোবাইলটো অফ কৰিছিল যদিও চকু হাল জোৰকৈও মুদিব পৰা নাছিল সন্ধ্যাই। বিদিশা বাই ৰুমৰ লাইটো অফ কৰি দিয়াত আহোঁ আহোঁ কৰা এমুঠি জোনাক সোমাই আহিছিল ৰুমটোলৈ। লগত পাতল পাতল বতাহ জাক আছিলেই। দুৱাৰখন খুলি ওলাই গৈছিল বিদিশা বা। হয়তো বাথৰুম গৈছে। যাওঁতে অজানিতেই গুণগুণাই গৈছিল তাই,

"তুমিতো জানাই সকলো দেখোন মোৰ মনৰ কথা,

Kaushik

তথাপিও তুমি নাজানো কিয় নুবুজাৰ অভিনয় কৰা"

আপোনা আপুনি সন্ধ্যাৰ মনলৈ আহিছিল জুবিন দাৰ এই জনপ্ৰিয় গীতটিৰ পিছৰ শাৰীকেইটা,

"অনুভৱ মোৰ আঁকি তোমাকে পোৱাৰ চিৰদিন কাষতে,

ইমান মৰম..............."

(আগলৈ)

#নিৰিবিলি

Part 34

গৈ গৈ আৰু দুটা পৰীক্ষা বাকী আছিল গৈ। তাৰ পাছতেই এক সপ্তাহৰ বন্ধ, দূৰ্গা পূজাৰ। এই শৰতৰ সময়খিনি সঁচাই খুব ভাল লাগে সন্ধ্যাৰো। বসন্তক যিদৰে ঋতুৰাজ বোলা হয়, সেইদৰে শৰতকো ঋতুৰাণীৰ আখ্যা দিয়া যায়। কুঁৱলীৰ সেমেকা আস্বাদন, কঁহুৱাৰ চঞ্চল হাঁহি, আকাশৰ ফৰকাল জোনাক, দূৰ্গা পূজাৰ লগতে ৰাসৰো আয়োজন আৰু দীপাৱলী। শৰতে যেন ভৰাই আনে উৎসৱৰ টোপোলাবোৰ। বন্ধটোৰ বাবেই শেষৰ পৰীক্ষা কেইটা দিবলৈ ধৈৰ্য্য নাথাকেগৈ কাৰোৰে। যেনে তেনে বেয়াই ভালে দি ঘৰলৈ যাব পাৰিলেই যেন শান্তি।

kaushik

আজি সন্ধ্যাহঁতৰ পিছবেলা আছে পৰীক্ষা। এইটো গ'লেই আৰু এটা মাত্ৰ। তাৰ পিছত ফ্ৰী। বিচনাতে পৰি বহীখন ওপৰে ওপৰে চাই আছিল সন্ধ্যাই। আগতে যিমানেই নপঢ়ক এইখিনি সময়ত পঢ়াৰ দৰে কেতিয়াও নহয়। সৰুতে মাকেও কৈছিল, পৰীক্ষালৈ যোৱাৰ আগত যি যি পঢ়া যায়, সেইবোৰহে আহে হেনো বেছিকৈ। বিদিশাও ৰুমতে আছিল। তাইৰ আজিয়েই শেষ। পিছবেলা আছে। Mass Com ৰ পেপাৰো কম। সন্ধ্যাৰো এই বিষয়টো ভাল লাগে। আগলৈ পঢ়াৰ হাবিয়াস এটাও নথকা নহয় মনত। হঠাৎ বিদিশাৰ ফোনটো বাজিল।

"অঁ ৰীণা কচোন.... কিয়....... কি?? কেতিয়া????? তাই ক'ত আছে এতিয়া?? ৰ ৰ, গৈছোঁ মইও।" ফোনটো থৈয়ে দৌৰি ওলাই গ'ল বিদিশা।

"কি হ'ল বা?" বুলি সন্ধ্যাই সুধিছিল যদিও উত্তৰ নিদিলে। হয়তো কাণতেই নপৰিল। কাৰোবাৰ কিবা সাংঘাতিক বিপদ নহ'লে বিদিশা বাই এনেকুৱা নকৰে। বহীখন

মেলাতেই এৰি সন্ধ্যাও ওলাই আহিল। বিদিশা চিধাই দীপাৰ ৰুমত সোমালগৈ। পিছে পিছে সন্ধ্যাও। দীপা বা অৰ্ধ চেতন অৱস্থাত ৰীণা বাৰ গাত মূৰটো পেলাই পৰি আছে। ৰীণা বাৰ চকুত চকুপানী। দীপা বাৰ ৰুমমেটে অলপ পানী সানি দিছে দীপা বাৰ মুখত আৰু মূৰত। একো বুজি পোৱা নাছিল সন্ধ্যাই। ক'ত কি হ'ল। বিদিশা আগবাঢ়ি গৈ দীপাৰ ভৰিৰ ফালে বহিছে। কাৰো মাত নাছিল। কেই মূহুৰ্ত মানৰ পাছতে দীপা বাই হঠাৎ সাৰ পোৱাৰ দৰে চিঞৰি উঠিল,

"অ' দেউতা..... ক'ত গ'লা গৈ অ' দেউতা।" ৰীণাই অকলে ৰখাব পৰা নাছিল। বিদিশাই সাৱটি ধৰিলে দীপাক,

"দীপা, দীপা অলপ ধৈৰ্য ধৰ। তই একেবাৰেই ভাঙি পৰিলে মাৰ কি হ'ব কচোন।"

নাই, দীপাক কোনেও ৰখাব পৰা নাই। চিঞৰি চটফটাই উঠিছে তাই,

"মই দেউতাৰ ওচৰলে যাম। মোক লৈ যা না অ'।" এজনী দুজনীকৈ ছোৱালীবোৰ আহি আহি দীপাহঁতৰ ৰুম পালেহি। বেৰত লাগি থৰ হৈ গৈছিল সন্ধ্যা। চকুৰে অহৰহ পানী ওলাইছিল। দীপাক সান্তনা দিবলৈও একো ভাষা নাই তাইৰ। এজনী ছোৱালীৰ বাবে দেউতাকৰ স্থান কি সন্ধ্যাই ভালকৈ বুজে। মাক নিজৰ ছোৱালীজনীৰ বাবে সদায় ছাঁৰ দৰে হ'ব পাৰে। কিন্তু দেউতাক, দেউতাক ছাঁ নহয়। বৰঞ্চ সদায় ছাঁ দি ৰখা এজোপা বৰগছ। সেই বৰগছ জোপা উভালি পৰিলে, কিমান কষ্ট হ'ব পাৰে সন্ধ্যাই বুজে। বয়সে গৰকা দীপা বাৰ দেউতাকৰ ইটো সিটো অসুখৰ কথা বিদিশাৰ মুখত শুনিছিল তাই। কিন্তু এইদৰে হঠাৎ যে হঠাৎ এনে এটা খবৰ আহিব কোনেও কল্পনাও কৰা নাছিল। মৃত্যুৰ বাতৰি সদায়েই বেদনাদায়ক, কিন্তু আকস্মিক মৃত্যুতকৈ কষ্ট আৰু কি হ'ব পাৰে। ইতিমধ্যে ৰীণাই লগৰ কাৰোবাৰ সহায়ত গাড়ীৰ ব্যৱস্থা কৰিছিল। এতিয়া লাইন বাছলৈ ৰৈ থকা সম্ভৱ নহয়। গাড়ী আহিছে বুলি কোনোবা এজনীয়ে খবৰ দিলেহি। দীপা বাৰ ঘৰ গুৱাহাটীত। এই চাৰি ঘণ্টা তাইক অকলে যাবলৈ দিয়াৰ প্ৰশ্নই নুঠে। সেয়েহে য'ৰে পৰীক্ষা ত'তে এৰি লগত বিদিশা আৰু ৰীণাও ওলাল। সন্ধ্যা আচৰিত হৈছিল, লগতে ভালো লাগিছিল পৰীক্ষা বুলি ইমান ছিৰিয়াছ হৈও লগৰজনীৰ বিপদৰ সময়ত পৰীক্ষা বাদ দিওঁ কাষত থিয় দিয়া বাকেইজনীৰ এই কামত। সন্ধ্যাও যাওঁ বুলি কৈছিল। কিন্তু বিদিশায়েই মানা কৰিলে। সিহঁত দুজনীয়েই হ'ব। প্ৰায় দাঙি নিয়াৰ দৰে নি গাড়ীত উঠাব লগা হ'ল দীপাক। হোষ্টেলৰ প্ৰায়বোৰ ছোৱালীয়েই চকুপানী ওলাইছিল সেই অৱস্থাত দীপাক দেখি। আনকি মাহীয়েও চকুপানী ৰখাব পৰা নাছিল। মৃত্যুৰ সময়তো তাই দেউতাকৰ কাষত থাকিব নোৱাৰিলে, এই

Kaushik

কথাটোৱে হয়তো বেছি আঘাত দিছিল। মানুহ এজন নাই বুলিলেই নোহোৱা হৈ যায়। আচৰিত প্ৰকৃতিৰ এই নিয়মটো।

বাহঁত যোৱাৰ পাছতো ৰুমলৈ আহি সন্ধ্যাৰ একো পঢ়া নহ'ল। দীপা বাৰ মুখখন আৰু চিঞৰবোৰেই মনলৈ আহি আছিল। হোষ্টেলত সকলোৰে মুখবোৰ গোমোঠা মৰা যেন হৈছিল। কাৰোৰে কাকো মাতিবলৈও যেন শক্তি নাই। এনেই ৰুমত অলপ সময় বহি পৰীক্ষালৈ বুলি ওলাই গ'ল সন্ধ্যা।

পৰীক্ষা দি বাহিৰে ৰুমলৈকে আহিল সন্ধ্যা। মনটো তেতিয়াও সেমেকিয়ে আছিল তাইৰ। কাকো বৰকৈ মাত বোলো কৰা নাছিল। ৰুম আহি এবাৰ বিদিশা বালৈ ফোন কৰিছিল। সিহঁত আজি থাকিব হেনোঁ। থাকক, দীপা বাৰো অলপ ভাল লাগিব। যিমানেই পৰিয়ালৰ মানুহ নাথাকক এই বিপদৰ সময়ত নিজৰ লগৰকেইজনীৰ দৰে আন কোনো হ'ব নোৱাৰে। এৰা, তেজৰ সম্পৰ্কতকৈও মনৰ সম্পৰ্ক যে অধিক শক্তিশালী। বিচনাত বাগৰিলে অলপ সময় তাই। কাইলৈ শেষ পৰীক্ষা। অসমীয়াৰ পেপাৰ খন আছে। কিন্তু পঢ়িবলৈকে মন যোৱা নাই চোন। এনেয়ে শেষৰ পৰীক্ষাটোত পঢ়িবলৈ মন নাযায়, তাতে আজি দীপা বাৰ ঘটনাটোৱে আৰু মনটো বেয়া কৰি পেলালে। ইফালে কাইলৈ তাই পৰীক্ষা দিয়েই যাবগৈ। কি কৰোঁ নকৰোঁ শেষত এপাক ওলাই যোৱাটোৱেই ঠিক হ'ব বুলি ঠিক কৰি অভিমন্যুলৈ ফোন লগালে। কাইলৈ যিহেতু যাবগৈ, তাতে মনো বেয়া, সেই বাবে আজি এবাৰ অকলশৰীয়াকৈ অভিমন্যুক লগ পাবৰ মন গ'ল।

"ক" ,ফোন ধৰিয়ে সুধিলে সি।

"কি কৰিছ"

"Exam ৰ time ত কি কৰিম আৰু, পঢ়ি আছোঁ।"

"এপাক ওলাই যাওঁ ব'ল না" ,ভয়ে ভয়ে সুধিলে সন্ধ্যাই।

"পাগল নেকি? Exam নাই হা কাইলৈ? পঢ় একদম।",দবিয়াই উঠিল সি।

"মই কাইলৈ যাম গৈ, সেই কাৰণেহে লগ কৰোঁ ভাবিছিলোঁ কিবা" ,মনটো যেন মৰি গৈছিল তাইৰ।

Kaushik

"৭ দিনৰ কাৰণেহে, একেবাৰে নাযাৱ নহয়। পঢ়ি থাক এতিয়া। bye।" ফোন কাটিলে সি।

খঙত মোবাইল টোকে বিচনাত থেকেচা মাৰি থ'লে সন্ধ্যাই। কিয় অলপো নুবুজে বাৰু এই ল'ৰাটোৱে। চবেই যে এনেই কয় সি ভাল পাই বুলি, এইয়াই ভালপোৱাৰ নমুনা তাৰ। ভালপোৱা জনেতো নক'লেও বুজি পাই কথা। কিন্তু ই, তাই নিজে ক'লেও আঁতৰি থাকে। এইবাৰৰ পৰা জুৰিহঁতে জোকালেই হ'ল তাই কৈ দিব চব। অকলে অকলে ওলাই যাবলেও মন যোৱা নাই। পঢ়িবলৈ মন নগ'লেও কিতাপ খনকে চাই থাকোঁতেই মোবাইলত মেচেজ আহিল,

"Ki korisa" অনুৰণৰ নাম জিলিকি আছিল।

"Asu ene" সন্ধ্যাই দিলে।

"Moi ulai ahisilu olop" তাই নুসুধাকৈয়ে অনুৰণৰ উত্তৰ।

"Oo" সন্ধ্যা নিৰুদ্বেগ। এফালে মন বেয়া, তাতে অভিমন্যুৰ অৱহেলা।

"Okole ahisilu" আকৌ দিলে সি।

"OK" বুলি দি মোবাইল টো থৈ আকৌ কিতাপখন মেলিলে সন্ধ্যাই। পঢ়ি থাকোঁতেই হঠাৎ তাইৰ মনলৈ আহিল, তাই একো নুসুধাকৈয়ে অনুৰণে "ওলাই আহিছোঁ" "অকলে আহিছোঁ" এইবোৰ কিয় দিছিল বাৰু? কেনেবাকৈ সি বাৰু তাইও তাৰ লগত যোৱাটো বিচাৰিছে নেকি। ছেহঃ, এইটোৱে মুখ ফুটাই একো ক'বও নাজানে নহয়। এতিয়ানো তাই উপযাচি কেনেকৈ তাক কয়। আজিলৈকে সন্ধ্যা অভিমন্যুৰ বাহিৰে কোনো ল'ৰাৰ লগত তেনেকৈ অকলে ওলাই যোৱাই নাই। তেনেস্থলত কি বুলিনো সুধিব তাক। তেও দিওঁ নিদিওকৈ আকৌ msg দিলে তাই,

"Muru pohibo mon jua nai"

লগে লগেই অনুৰণৰ উত্তৰ,

"Muru mon jua nasil, so ulai ahilu. Olop ulai ahile fresh lage"

এইবাৰ খং আৰু হাঁহি দুইটাই উঠিল সন্ধ্যাৰ। সি মানে তেও নকয় তুমিও ওলাই আহা বুলি। কেৱল এইদৰেই ইংগিত দি থাকিব। শেষত উপায় নাপাই তাইয়ে ক'লে,

"Moiu jau roba"

Kaushik

"O aha, moi hostel r pa ulaluei. Subonsiri pale msg korim ulai ahiba"

সি যেন এইটো লৈকে ৰৈ আছিল। মেচেজটো দেখি মুখখনত হাঁহিটো ওলমি ৰৈছিল সন্ধ্যাৰ। ওলাবলৈ বুলি ফোন টো থৈ মুখেৰে হাঁহি এটাৰে ভোৰভোৰালে তাই, "কি আচৰিত ল'ৰা" মুখখন ধুই আহি ধোঁৱা ৰঙৰ টপটো উলিয়ালে তাই। চুলিখিনি মেলিয়েই ল'লে। আইনাখনৰ সমুখত ৰৈ অকণমান কাজল লগালে।

"Paluhi aha" কিছু সময়ৰ পাছত মেছেজ আহিল। সন্ধ্যা নামি আহিল তললৈ। খুব বতাহ বলিছিল নেকি বাৰু? হেই নহয়। তাই এনেয়েহে ভাবি আছে। দুয়ো খোজ ল'লে। কিছু সময় কাৰো মাত নাই। কিনো ক'ব সন্ধ্যাই নিজেও ভাবি পোৱা নাই। ষ্ট্ৰীট লাইটৰ পোহৰ আৰু গছবোৰৰ ছাঁৰ মাজে মাজে আগবাঢ়িছিল সিহঁত। তেনেতে এবাৰ হঠাৎ সন্ধ্যাৰ হাত খন অনুৰণৰ হাতত লাগিল। লগে লগেই সি কিছু যেন কাষলৈ আঁতৰি গ'ল। সন্ধ্যাৰ হাঁহি উঠিল তাৰ লাজ দেখি। ল'ৰাও ইমান লাজুকীয়া থাকে নে?

"পঢ়ি হ'ল নে কাইলৈৰ কাৰণে?" অনুৰণেই মাত লগালে।

"নাই অ' ঘৰ শেষৰ পৰীক্ষা বুলি একো পঢ়া হোৱাই নাই। তাতে আজি দীপা বাৰ...." দীপাৰ কথাখিনি ক'লে সন্ধ্যাই। সিও এনেকৈ ঘপকে হ'লে মানিবলৈ কষ্ট হয় জাতীয় কিবা কিবি কৈছিল। কিছু সময় আকৌ মৌনতা।

"তুমি ঘৰ কাইলেকে যাবা নেকি?" অলপ সময় ৰৈ আকৌ অনুৰণেই সুধিলে।

"অঁ, exam দিয়েই ওলাম।" তাই ক'লে।

"বিশ্বনাথ চাৰিআলিহে। ইমান লৰালৰিকৈ নগ'লেও হয় চোন।" তাৰ কথাৰ অৰ্থ একো বুজি নাপালে তাই। পৰীক্ষা শেষ কৰিও কেলৈ থাকিব আকৌ।

"থাকিনো কি কৰিম? চবতো যাবগৈয়ে।" সন্ধ্যাই তালৈ চাই সুধিলে।

"মই থাকিম তো।" সন্ধ্যাই কি ক'ব বুজি পোৱা নাছিল। কিন্তু কথাষাৰ ক'ব নোৱাৰাকৈ অনুৰণৰ মুখৰ পৰা ওলাল বুলি সন্ধ্যাইও বুজিলে। কৈ যেন অলপ অস্বস্তিত পৰিছিল সি। সেয়েহে তাই নিজেই কথাটো সলনি কৰিলে,

"আমি খাম ক'ত?"

"Gobin তে যাওঁ ব'লা।"

Kaushik

ইউনিভাৰ্চিটীৰ গেটৰ বাহিৰতে Gobin নামৰ হোটেল খন। নেপালী মানুহ এজনে দিয়ে। গেটৰ পৰা ওলায়েই বাওঁফালে। সন্ধ্যা এবাৰ অভিমন্যু আৰু এবাৰ বিদিশাৰ লগত গৈছিল তালৈ। Gobin ৰ মানুহজনৰ অমায়িক ব্যৱহাৰৰ বাবে সকলোৰে প্ৰিয় gobin। বহুতে বিশেষ একো নাখালেও এনেই চাহ এক কাপ খাবলৈকে হলেও তালৈ সন্ধিয়া পাক এটা মাৰে। কোনোবাই খাই লৈও বহু সময় "দাজু" মানে Gobin ৰ মালিকজনৰ লগত কথা পাতি সময় কটায়।

সন্ধ্যাহঁত আহি ঠিক গেটৰ ওচৰৰ fountain টো পাইছিলহি। মেইন গেট খনৰ পৰা সোমায়েই এই Fountain টো পায়। ৰঙা নীলা লাইটবোৰৰ বাবে ৰঙীন পানীৰ ফোঁৱাৰা অহৰহ ওলাই থাকে। এই ফাউনটেইনটোৱে চৌহদটোৰ সৌন্দৰ্য যেন দুগুণে বঢ়াইছে। সোমায়েই সেইটো দেখিয়েই যেন চৌহদটোৰ প্ৰতি এক ধাৰণা গঢ় লৈ উঠে। ফাউনটেইনটো পাওঁতেই হঠাৎ গাজনি মাৰি বৰষুণ পৰিল। দুপৰীয়াৰ পৰা অলপ ডাৱৰীয়া বতৰ আছিল যদিও বৰষুণ দিব বুলি ভবাই নাছিল কোনেও। তেজপুৰৰ যে বৰষুণটো এনেকুৱাই। হঠাৎ আহি যায়। বৰষুণ অহাৰ লগে লগেই অনুৰণে সন্ধ্যাক হাতত ধৰি টানি গেটৰ লগতে থকা বাওঁফালৰ বাছ ষ্টপটোলৈ লৈ গল। সন্ধ্যাই যেন তলকিবই নোৱাৰিলে। বাছ ষ্টপটোত ৰৈয়ে ক'লে তাই,

"কি মানে, ইমান এনেকৈ দৌৰিলা যে, কিনকিনিয়া কৈহে আহিছে।"

"মোৰ ভয় লাগে" হাতেৰে চুলিৰ পানীখিনি জোকাৰি কৈ উঠিল সি।

হাঁহি হাঁহি ক'লে সন্ধ্যাই,

"বৰষুণ ভয় কৰা ল'ৰা এইয়াই প্ৰথম দেখিছোঁ। কেঁচুৱা নেকি তুমি?"

"বৰষুণলৈ নহয় বেমাৰলৈ ভয় কৰোঁ।"

"আই অ', গোটেইটো একদম মা কা লাদলা মানে" আকৌ হাঁহিলে সন্ধ্যাই।

অনুৰণে একো নকৈ কেৱল চাই আছিল তাইলৈ। বৰষুণত অলপকৈ তিতা চুলি খিনি হাতেৰে কোবাই আছিল সন্ধ্যাই। কেইডাল মানে আহি কপালত আৰু চকুত পৰি আমনি কৰিছিল। হাঁহি হাঁহিয়েই চুলি কেইডাল আতঁৰাইছিল। সকলো সময়তে over romantic বুলি বদনাম এনেও সন্ধ্যাৰ আছিলেই। তাতে এই আবেলিৰ বৰষুণ। আন্ধাৰ ভালকৈ নোহোৱাৰ বাবে বেলিৰ হেঙুলীয়া ৰং এটা বিয়পিছিল। বৰষুণৰ পৰশত ঠাইখিনিৰ কাষৰ আৰু সমুখৰ গছকেইজোপাও যেন নতুন ৰঙেৰে সজীৱ হৈছিল। বাছ ষ্টপটোৰ

Kaushik

পৰা দেখি থকা ইউনিভাৰ্চিটীৰ গেটখনো জিলিকি উঠিছিল। এইবাবেই বৰষুণ প্ৰিয় সন্ধ্যাৰ। অনুৰাধা শৰ্মা পূজাৰী বাইদেৱে "চাহেবপুৰাৰ বৰষুণ"ত যে লিখিছিল, "বৰষুণৰ কোনো আকাৰ নাই, কোনো বৰণ নাই, নদীত পৰিলে নদী, সাগৰত পৰিলে সাগৰ। বৰষুণ ভালপোৱা মানুহে মলিনতা ভাল পাব নোৱাৰে।" সঁচাই, সন্ধ্যাইও বিশ্বাস কৰে কথাষাৰ। এই সৰু সৰু টোপালবোৰেই কবি নাইবা সাহিত্যিকৰ কলমত প্ৰাণ পাই কি যে মনোমোহা ৰূপ লয়। বাছ ষ্টপটোৰ কাষলৈ গৈ পানীৰ টোপালবোৰ হাতেৰে চুই চুই অনুৰণক ক'লে সন্ধ্যাই,

"মোৰ এনেকুৱা লাগে জানা, যেন এই বৰষুণবোৰে কিবা যেন ক'ব খোজে। কিবা যেন শুনো মই বুজা নুবুজাৰ ভাষাৰে।"

"এৰা, মইও শুনো" তাইৰ ঠিক কাষলৈ আহি অনুৰণে ক'লে।

সন্ধ্যাই আচৰিত হৈ সুধিলে,

"বাপ ৰে, তুমিও শুনানে? কি শুনা পিছে?" ৰোমান্টিক কথা, ৰোমান্টিক গান, এই সকলোৰে পৰা সদায় সাত হাত আঁতৰত থকা অনুৰণে বৰষুণৰ পৰা কিবা শুনে বুলি কোৱাটো আচৰিত হ'ব লগা কথাই।

"মই শুনোঁ বৰষুণে যেন কয়...." বিশেষ সুৰত ক'বলৈ চেষ্টা কৰি ক'লে অনুৰণে। সন্ধ্যাই বুজিছিল সি যে এতিয়া তাইক জোকায়েই কিবা এটা ক'ব। তেও তাই তাৰ সুৰটোতেই সুৰ মিলাই সুধিলে,

"বৰষুণে যেন কয়.. কি কয়?"

"বেমাৰ হ'ব, ভিতৰলৈ যা" শান্ত মাতটোৰে চকুত হাঁহি এটা লৈ অনুৰণে ক'লে। বাছ ষ্টপটোৰ কাষৰে পৰি থকা বৰষুণৰ টোপালকেইটা হাতেৰে লৈ অনুৰণৰ মুখলৈ ছটিয়াই দিলে সন্ধ্যাই। "তুমি যে মানে" বুলি জোৰেৰে শব্দ কৰি হাঁহি উঠিল। যেন শেষেই নহ'ব। দিনটোৰ বিষাদবোৰ হাঁহিৰ মাজেৰে যেন বৰষুণৰ দৰে সৰি পৰিছিল। বাছ ষ্টপৰ খুটা টোত আওঁজি তাইলৈ একেথৰে চাই ৰ'ল অনুৰণে। বৰষুণৰ শব্দত মিহলি হৈছিল সন্ধ্যাৰ হাঁহিবোৰ। একেবাৰে কাষত থিয় হৈ থকাৰ বাবে মাজে মাজে বৰষুণৰ টোপালৰ এচাৰকণি বোৰ আহি মুখত পৰিছিল তাইৰ। এবাৰত গেটেৰে সোমাই অহা গাড়ীৰ হালধীয়া লাইটৰ পোহৰত জিলিকি উঠিছিল মুখখন। যাওঁ যাওঁ কৰা বেলিটোৰ

Kaushik

হেঙুলীয়া ৰং খিনিও যেন সন্ধ্যাৰ মুখত আহি জমা হৈছিলহি। আবেলিটো যেন আজুৰি আনিছিল তাইৰ হাঁহিখিনিয়ে। অনুৰণে মাত্ৰ চাই আছিল।

বাহিৰৰ কোনোবা দোকানত বজাই আছিল জুবিন দাৰ এটা চিৰসেউজ গান,

"লাহে দৈ বেলি ঐ যাবই যাবৰে হ'ল,

মনে মোৰ প্ৰিয়াক লৈ এপাক ওলাবৰ হ'ল"

(আগলৈ)

#নিৰিবিলি

Part 35

এটা সময়ত বৰষুণ শেষ হ'ল। টোপ টোপকৈ মাত্ৰ পৰি আছিল টোপালবোৰ। চাৰিওফালে কেঁচা মাটিৰ এটা সেমেকা গোন্ধ বিয়পি পৰিছিল। বৰষুণ শেষ হোৱাৰ পাছৰ এই গোন্ধটো, জিলিকি থকা গছবোৰ, টোপ টোপ টোপালবোৰ সন্ধ্যাৰ খুব প্ৰিয়। বতাহৰ কোবত যে গছৰ পাতত ৰৈ যোৱা পানীবোৰ সৰি পৰে। আস, কি যে অদ্ভুত ভাল লাগে। সঁচাই, লগত থাকি সকলোতে নিজৰ প্ৰভাৱ বিস্তাৰ কৰাটোতো সহজ ; কিন্তু গুছি যোৱাৰ পাছতো নিজৰ অস্তিত্ব থৈ যোৱাটো খুব টান। যিটো বৰষুণে পাৰে, ফুলৰ সুবাসে পাৰে আৰু পাৰে ভালপোৱাই।

kaushik

বৰষুণ কমাত অনুৰণেই ক'লে, "ব'লা"

বাছ ষ্টপটোৰ পৰা ওলাই আহিব লওঁতেই দেখিছিল সন্ধ্যাই, মেইন গেটৰ সোঁফালেৰে ভিতৰলৈ সোমাই আহিছে সিদ্ধাৰ্থ দা। ছাতিৰ তলত আৰু কোনোবা আছে। প্ৰথমে সন্ধ্যাই ধৰিব নোৱাৰিলেও ষ্ট্ৰীট লাইটটোৰ ওচৰ পাওঁতে ঠিকেই দেখিলে। লগত থকা গৰাকী ছোৱালী। ধনশিৰিৰ শিখা বা। সেই যে হোষ্টেলৰ ফ্ৰেচাৰ্হত লগ পাইছিল।

"আটছা, কথা তেন্তে এইটোহে।" সন্ধ্যাই নিজকে কোৱাৰ দৰে ক'লে। তাই গেটৰ বাওঁফালে আছিল বাবে সিহঁতে দেখা নাই। তাতে বাছ ষ্টপটোত লাইটো নাই। এনেই হ'লে সন্ধ্যাই ছোৱালীৰ লগত ককায়েকক দেখি চিঞৰ এটা মাৰি তাক জোকালে হেঁতেন। কিন্তু কিয় জানো এতিয়া তাক মাতোঁ বুলিও মাতিব নোৱাৰিলে। বৰঞ্চ কিবা যেন সংকোচহে লাগিল। সি যেন তাইক নেদেখে এইটো লৈহে বেছি সচেতন হ'ল। কিয়

বাৰু? অভিমন্যুৰ লগত আহিলে চোন তাই এফালৰ পৰা যাকেই পাই মাতি কথাৰ মহলা মাৰি যায়। আনকি সিও। কিন্তু আজি কিয় এই সংকোচ আহিছে।

"ঐ, ব'লা আকৌ।" তাই ৰৈ যোৱা দেখি অনুৰণে আকৌ ক'লে। সিহঁত আগবাঢ়িল। গেট পাৰ হৈ গোবিন পালেগৈ।

গোবিনৰ ভিতৰখন দীঘলীয়া। সোমায়েই বহল বাৰাণ্ডাখনৰ সোঁফালে আৰু বাওঁফালেও টেবুল আছে। সেইখিনি মূল হোটেলখনৰ পৰা পৃথক। দুইখন টেবুলৰ ওপৰতে লাইট এটা জ্বলোৱা আছে যদিও পোহৰটো একেবাৰেই পাতল। এই বাৰাণ্ডাখন সাধাৰণতে চাহৰ লগত ছিগাৰেট খোৱা সকলৰ বাবে। মূল হোটেলখনৰ পৰা পৃথক বাবে ইয়াতে খাইহি বহুতে। টেবুলকেইখনৰ পৰা বাটটোও দেখি থাকি। মানুহ নাছিল বাবেই ভিতৰলৈ নগৈ সন্ধ্যা আৰু অনুৰণ তাতেই বহিল। সোঁফালৰ টেবুলখনৰ খনৰ লগতে লাগি হোটেলৰ ভিতৰফালে আছে গোবিনৰ মালিক অৰ্থাৎ "দাজু"ৰ টেবুলখন। তেওঁৰ টেবুলৰ সমুখতে সোঁফালে চুকত ভগৱানৰ ফটো কেইখন মান ওলোমাই থোৱা আছে। তাৰ তলতে চাকি আৰু ধূপ। মানুহ সোমালেই এমোকোৰা হাঁহিৰে "আহিছে দাদা" বুলি মাতষাৰ লগাই দাজুৱে। অনুৰণ গোবিনৰ নিয়মীয়া গ্ৰাহক বাবেই তাক মাত লগাই পৰীক্ষাৰ খবৰো ল'লে তেওঁ। সন্ধ্যাইও মাত লগালে। এনেতে হোটেলৰ বয় এজন আগবাঢ়ি আহি কি খাব সুধিলে।

"কি খাবা" সন্ধ্যাই সুধিলে অনুৰণক।

কিছু সময় ভাবি চিকেন ফ্ৰাইদ ৰাইচ অৰ্ডাৰ দিলে দুয়ো। যোৱাৰ সময়ত বয়টোৱে "দাদা, ভাল লাগিছে দেই" বুলি চিঞৰি থৈ গ'ল। অনুৰণৰ যে মুখখন চাব লগীয়া হৈছিল। সন্ধ্যাই শব্দ কৰি হাঁহিছিল। সদায় আহি থকাৰ বাবে অনুৰণৰ লগত ভাল চিনাকি তাৰ। মূৰত ৰঙা টুপী, গাত ঢিলা চোলাটোৰে বিশেষ ভংগীমাত জোকাই থৈ গ'ল সি। অনুৰণে মোবাইলটো উলিয়াই কিবা টিপিবলৈ লাগিল। সন্ধ্যাই জানে, সি খুব বেছি লাজ লাগিলে বা কি ক'ম কি নক'ম হ'লে মোবাইলটোকে উলিয়াই লয়।

"অভি ৰুমতে আছে নে?", কি কথা উলিয়াব ভাবি নাপাই অভিমন্যুৰ কথাই সুধিলে সন্ধ্যাই।

"আছে, পঢ়ি আছে।" মোবাইল টিপি থকাৰ পৰাই উত্তৰ দিলে সি ।

Kaushik

"Over serious টো ক'ৰবাৰ" মুখেৰে ভোৰভোৰালে সন্ধ্যাই। তাই ইমান হেঁপাহেৰে মাতিছিল তাক।

"By the way, তুমি কেতিয়া যাবা ঘৰ?"

সন্ধ্যাৰ প্ৰশ্নত মোবাইলৰ পৰা মূৰ তুলিলে অনুৰণে,

"Exam শেষ হোৱাৰ পিছৰ দিনা, মানে পৰহিলৈ।"

"তুমিতো অহাৰ পৰা যোৱাই নাই ন? মই এবাৰ গ'লো আৰু। কেনেকৈ যে পাৰা তোমালোকে ইমান দিন ঘৰ নোযোৱাকৈ।" Homesick বুলি সন্ধ্যাক হোষ্টেলতো জোকায়। তথাপি তাই যাবই। পিছে অনুৰণ হঁতলৈ বেয়াও লাগে। তেজপুৰৰ পৰা ডিব্ৰুগড় অহা যোৱা কৰোঁতেই দিনটো যায়। ভাগ্যে তাইৰ ঘৰ ওচৰতে হ'ল।

"তুমিও পাৰিবা, আগতে TU খন ভাল পাব try কৰা" , সন্ধ্যাৰ কথাত অনুৰণে শান্ত মাতেৰে ক'লে।

"TU ক ভাল পোৱাৰ আগতে TU ৰ মানুহক ভাল পাব পাৰিব লাগিবতো।" অলপ অন্যমনস্ক হৈ সন্ধ্যাই ক'লে। মুখখন অকণমান ফুলিও আহিছিল হ'বলা ক'ব নোৱাৰাকৈ।

চকুত অলপ হাঁহি লৈ অনুৰণেও ক'লে,

"পালেইতো হ'ল, TU ৰ মানুহ ইমানো বেয়া নহয় দিয়া"

"বেয়াতো নহয় বাৰু, খালী মগজুটো অলপ কম, বুজি নাপাই একো কথা।" সন্ধ্যাৰ কথাবোৰত অভিমানৰ সুৰ এটা লাগি ৰৈছিল। নৰ'বনো কিয়, তাইৰ যে মনটো বেয়া লাগি আছিল আৰু ঘৰ যোৱাৰ আগত অভিক লগ কৰোঁ বুলি ভাবিছিল, সি বুজিলে জানো।

"তুমি বুজাই ল'বা আকৌ।" অনুৰণৰ একেই হাঁহি।

সন্ধ্যাৰ কথাত এইবাৰ স্পষ্ট অভিমান,

"হ'ব আৰু। কিছুমান কথা নক'লেও বুজিব লাগেতো।"

"কিন্তু কিছুমান কথা শুনিও ভাল লাগে" অনুৰণৰ শান্ত উত্তৰ।

Kaushik

"ইচ্ । হ'ব হ'ব, ক্রিকেটৰ সময়ত কোহলীয়ে কেতিয়া ছিক্স মাৰিব ঠিকেই বুজি পাই, খালী মোৰ কথাহে তেখেতে বুজি নাপাই।" এইবাৰ মাতটো জোৰকৈয়ে ওলাইছিল সন্ধ্যাৰ। যেন অভিমন্যু প্ৰতি থকা খঙৰেই বহিঃ প্ৰকাশ। সন্ধ্যাই যেন পাহৰি গৈছিল, সমুখত তাইৰ অভি নহয় অনুৰণহে আছিল। মুখখন ফুলাই সন্ধ্যাই বয়জনে দি যোৱা ফ্ৰাইড ৰাইচখিনিৰ এচামুচ মুখত ল'লে।

"মানে তুমি অভিমন্যুৰ কথা কৈছা?" অনুৰণৰ মাতটো অলপ যেন বেলেগ হৈ ওলাইছিল। অলপ পাতলকৈ কঁপনি এটা। সন্ধ্যাই ধৰিব নোৱৰাকৈ, বুজি নোপোৱাকৈ।

"অঁ আকৌ, তুমিয়ে চোন কৈছা TUৰ মানুহক ভাল পাব লাগে।" খাই খাই তলমূৰ কৰিয়েই সন্ধ্যাই ক'লে। একেবাৰে অন্যমনস্ক হৈয়ে কৈ পেলালে তাই। অনুৰণে যে তাইক ইমান সময় অভিমন্যুৰ কথাই কৈ Indirectly জোকাই আছিল তাইও বুজি পাইছিল। কিন্তু সঁচাকৈ অভিমন্যুৰ কথা কৈছিল জানো অনুৰণে? অনুভৱ আৰু অনুমানৰ দোমোজাত দুলি থকা সন্ধ্যাৰ সেইখিনি বুজাৰ হয়তো সামৰ্থ্য নাছিল। হঠাৎ চৰ্চৰণি খাই উঠিল অনুৰণে।

"এই, কি হ'ল। অলপ লাহে লাহে খোৱা। গৰমো হৈ আছে।" তালৈ পানীৰ গিলাচটো আগবঢ়াই দিলে সন্ধ্যাই। পানী খাই শান্ত হ'ল সি। কথা আৰু আগ নবঢ়াই খোৱাত মন দিলে দুয়ো। অলপ সময়ৰ পাছত সন্ধ্যাৰ মোবাইলটো বাজিল। বেগৰ পৰা উলিয়াই দেখে অভিমন্যু। ৰিচিভ কৰিবলৈকে মন যোৱা নাছিল তাইৰ। অথনি যেনেকৈ নাযাওঁ বুলি কৈছিল। তথাপি ৰিচিভ কৰিলে তাই। কাৰণ তাই নিজেও জানে, তাক যে নিজৰ পৰা আঁতৰাব নোৱাৰে।

"ক" ফোনটো ধৰি ক'লে।

"কি কৰিছ, যাব যদি ব'ল নহ'লে ওলাই। অথনি কাম এটাত লাগি আছিলোঁ। এতিয়া হ'ল।" মাতটো অথনিতকৈ কোমল তাৰ। কিন্তু এতিয়া কি লাভ? পিয়াঁহ লাগোতেই যদি নিদিয়ে পানী, পাছত লাভ আছে জানো নদীখন আনি?

"মই অনুৰণৰ লগত আহিলোঁ" বুলি ক'বলৈ লৈও ৰৈ গ'ল তাই। বৰঞ্চ "নাযাওঁ দে এতিয়া" বুলি কাটি দিলে তাই। কিয়? কিয় ক'ব নোৱাৰিলে তাই? এক প্ৰচণ্ড আত্মগ্লানিত ভুগিছিল সন্ধ্যা। সেই একেই সংকোচ। সিদ্ধাৰ্থ দাক যে মাতোঁ বুলিও মাতিব নোৱাৰিলে। ঠিক তেনেদৰেই। তাই জানে, অনুৰণৰ লগত আহিছোঁ বুলি ক'লেও অভিমন্যুয়ে বিশেষ একো নকয়। কিন্তু তাই ক'ব নোৱাৰিলে কিয়। আৰু কথা

Kaushik

লুকুৱাবলৈ অভিমন্যু নাইবা অনুৰণনো তাইৰ কোন হয়। নাই, তাই মিছা মতা নাই, কিন্তু সঁচাটোওতো কোৱা নাই। কিছু নামহীন অনুভৱৰ চাকনৈয়াত ঘূৰিব লৈছিল সন্ধ্যাৰ মনৰ পালতৰা নাওঁ।

কিছু সময়ৰ পাছত ওলাই আহিল সিহঁত গোবিনৰ পৰা। দাজুয়ে "আকৌ আহিবা দেই" বুলি কৈছিল অহাৰ সময়ত। সৰল মানুহজনৰ ব্যক্তিত্বটো সঁচাই ভাল লাগে।

আকৌ ইউনিভাৰ্চিটীৰ চৌহদত সোমাইছিল সিহঁত। চৌহদটো জীপাল হৈ আছিল বৰষাৰ পৰশত। কাঞ্চন, নাহৰ আটাই কেইজোপা যেন সদ্যস্নাতা একোজনী গাভৰু। ৰাস্তাটো ভিজি আছিল। নাহৰ বোৰৰ কাষেৰে গৈ থাকোঁতে মাজে মাজে সন্ধ্যাই পাতবোৰ জোকাৰি টোপালবোৰ চুই গৈছিল।

"আৰু কোৱা, কাৰোবাৰ ভাল লগাৰ কথা কৈছিলা যে ?" বাটত অনুৰণে সুধিলে।

প্ৰশ্নটোৱে ভবাই তুলিলে সন্ধ্যাক। ঠিক এনেকুৱা এটা প্ৰশ্নই মাজে মাজে তাইৰ মনটোৱেও তাইক সোধে। একো উত্তৰ বিচাৰি নাপাই ভাববোৰ জোকাৰি দিয়ে তাই। আচলতে পলাই। এতিয়াও বেলেগে সোধা হ'লে সন্ধ্যাই একো নকৈ হাঁহি মাৰিয়েই থ'লেহেঁতেন। কিন্তু কিয় জানো অনুৰণক যেন ক'বলৈ মন গৈছিল।

"নাজানো অ' ৰণ। চবেই জোকাই থাকে মোক তাৰ লগত। তাক বেলেগৰ লগত দেখিলেও খং উঠে চোন। সেইবাবে মাজে মাজে ভাবোঁ, হয় চাগে ক'ৰবাত মইও ভাল পাওঁ নেকি। কিন্তু কোনোবা সময়ত আকৌ ভাব হয়, নাই এইটো ভালপোৱা যেন প্ৰেম নহয়।" অনুৰণৰ ওচৰত আনক ক'ব নোৱাৰা কথাবোৰ বিনা সংকোচে কৈ দিব পৰা হৈছিল সন্ধ্যাই। এইখিনি কথা তাই আনহে নালাগে প্ৰিয়া নাইবা বিদিশাকো কোৱা নাই। কি বুলিনো ক'ব? কোনোবাই হয়তো বেছি ভাবিছ বুলি উৰুৱাই দিব, কোনোবাই ইমান কিয় খেলিমেলি বুলি তাইকেই দোষ দিব। কিন্তু মনৰ দোমোজাটোতো অকল তাই বুজিছে, আনে কিদৰে দেখিব। পিছে অনুৰণৰ শান্ত মাতটোৰ মাজত ক'ৰবাত বিশ্বাসৰ ভেঁটিটো বিচাৰি পাইছিল তাই।

"First time এনেকুৱাই হয়, একো নাই । time লোৱা দুইটাই। নিজকো time দিয়া। নিজক বুজিবলৈ চোৱা। অলপ সময় কটোৱা দুইজনে।" অনুৰণে বুজনিৰ সুৰত ক'লে। অনুৰণৰ মুখত এইবোৰ কথা শুনি সন্ধ্যা আচৰিত হ'লেও তেতিয়ালৈ তাই গম পোৱা হৈছিল, অনুৰণ যেন তাইৰ ওচৰত কিছু পৃথক।

Kaushik

"মই seriously confuse জানা, কাকো ক'বও নোৱাৰোঁ এইবোৰ। ভয় লাগে। কোনে বা কি ভাবে। even প্ৰিয়াকো নাই কোৱা।" সন্ধ্যাই কৈ গৈছিল।

"মোক ক'ব পাৰা। একো নাই।" হাঁহিৰে ক'লে অনুৰণে।

সন্ধ্যাইও হাঁহিলে। এই যে ভৰষা, এই যে আশ্বাস, ইয়াতকৈ বেছি কি লাগে। অনুৰণৰ মাজত যেন এজন বিশ্বাসী বন্ধু বিচাৰি পাইছিল সন্ধ্যাই। এনেতে হঠাৎ এটা গাজনি মাৰিলে। উচপ খাই সন্ধ্যাই অনুৰণৰ বাহুটো সাৰটি ধৰিলে হাতেৰে। সি হাঁহি হাঁহি ক'লে,

"কি হ'ল, বৰষুণ ভাল পোৱা বোলে, এতিয়া ভয় যে?"

"বৰষুণহে ভাল পাওঁ, কিন্তু গাজনিলৈ ভয় লাগে।" কঁপা মাতেৰে সন্ধ্যাই ক'লে।

"ভালপোৱাত আকৌ ভয় কিহৰ, বৰষুণক পাবলৈ হ'লে গাজনিৰ শব্দতো শুনিবই লাগিব।"

অনুৰণৰ কথাত একেথৰে তালৈ চাই ৰ'ল সন্ধ্যা। সকলোৰে চিনাকি অনুৰণ যেন এইটো নহয়, যেন নতুনকৈ লগ পাইছে আজি তাই অনুৰণক। কিন্তু এনে লাগিছে যেন বহু দিনৰ পৰাই সিহঁতে কথা পাতি আহিছে, বৰষুণৰ কথা, ভালপোৱাৰ কথা।

সিহঁত সোৱণশিৰী পালেহি। অনুৰণেই ক'লে,

"যোৱা, all the best কাইলৈৰ কাৰণে।"

"Thanks, same to u" তাইও ক'লে।

"আৰু শুনা, কথাবোৰ ক'বা। চিন্তা কৰিব নালাগে মই আনক নকওঁ, নিজে ভাবি থাকিলে কষ্ট পাবা" তাৰ আশ্বাস।

"Sure, এনেকৈ সদায় থাকিবাটো?" অনুৰণৰ চকুলৈ চাই ক'লে সন্ধ্যাই।

"তুমি বিচাৰিলে সদায় থাকিম" সিও ক'লে।

ক'ৰবাত দুয়োৰে চকুযোৰ যেন সজল হৈ পৰিছিল। বতাহজাকৰ কোবত কৃষ্ণচূড়াজোপাৰ পাতত থকা বৰষুণৰ টোপালবোৰ সৰকি পৰিছিল।

"যাওঁ" বুলি সন্ধ্যা সোমাই গ'ল হোষ্টেলৰ ভিতৰলৈ। অনুৰণ ৰৈ আছিল তাই চকুৰ আঁৰ নোহোৱালৈকে। সন্ধ্যা ৰুমত সোমাওঁতে কোনোবাই স্পীকাৰত গান লগাই আছিল,

Kaushik

"বিচাৰিছোঁ কাষৰতে...

সদায়ে তোমাক......।"

সন্ধ্যাৰ ৰুমটো পোৱাৰ আগত ৰুবীৰ ৰুম। কৌশিকৰ লগত হোৱা ঘটনাটোত ৰুবীয়ে তাইক ঠাট্টা কৰি কথাকেইটা শুনোৱাৰ পাছত ৰুবীৰ লগত মাতবোল তেনেকৈ নহয়েই। তাইৰ ৰুমৰ দুৱাৰখন অলপকৈ খোলা আছে। সন্ধ্যা পাৰ হ'ব লওঁতেই হঠাৎ শব্দ এটা শুনি ৰৈ গ'ল। ভালকৈ মন দিয়াত শুনিলে কোনোবাই ঘন ঘনকৈ উশাহ লোৱাৰ শব্দ। লগতে কান্দোন। ৰ'ব নোৱাৰি দুৱাৰখন খুলি সোমাই গৈ আচৰিত হৈ চিঞৰ মাৰি দিলে সন্ধ্যাই,

"ৰুবী..............."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 36

ৰুবীৰ ৰুমত সোমাই আতংকত চিঞৰি উঠিল সন্ধ্যাই। বিচনাত চটফটাই কান্দি আছিল ৰুবীয়ে। সোঁত মোঁচ খাই থকা বিচনাখনৰ সৈতে ছেদেলি ভেদেলি ৰুমটো। মজিয়াত অলপ বমি। মোবাইলটো পৰি আছেহি দুৱাৰৰ চুকটোত। বিচনাৰ পৰা যে দলিয়াই পেলাইছে তাত কোনো সন্দেহ নাই। হঠাৎ এই দৃশ্য দেখি কি কৰোঁ কি নকৰোঁ হৈছিল যদিও নিজকে চম্ভালি লৈছিল সন্ধ্যাই। আগবাঢ়ি গৈ ৰুবীক সাৰটি পানী বটলটোৰ পৰা অলপ খোৱাইছিল। তাইক বেৰখনত আওজাই থৈ "মাহী মাহী" বুলি চিঞৰি ওলাই আহিল। চিকিউৰিটী মাহীক কথাখিনি কৈ সোনকালে এম্বুলেন্সলৈ ফোন লগাবলৈ দিলে আৰু উভতি আহিল ৰুবীৰ ওচৰলৈ। এইটো খুব ভাল সুবিধা TU ৰ। ইয়াত থকা হেল্থ চেন্টাৰটোৰ লগতে সকলোৰে সুবিধা হোৱাকৈ এখন এম্বুলেন্স। চৌবিছ ঘন্টাৰ যেতিয়াই বিচাৰে তেতিয়াই সকলোৰে সেৱাৰ বাবে প্ৰস্তুত হৈ থাকে সেই। হোষ্টেলৰ পৰা ৰোগী শিক্ষাৰ্থীক হেল্থ চেন্টাৰলৈ নি ডাক্তৰক দেখুৱাই আকৌ হোষ্টেলত থয়হি। অৱশ্যে কেতিয়াবা কোনো ছিৰিয়াছ ৰোগীক তেজপুৰ টাউনৰ কোনো হস্পিতেললৈও নিব লাগে। ৰোগীৰ লগত অন্য দুজন যাব পাৰে এম্বুলেন্সত। সন্ধ্যাই মাজতে দেখিছিল হোষ্টেলৰ কোনোবা ছোৱালী এজনী Low pressure ৰ বাবে মূৰ ঘূৰাই পৰোঁতে বিদিশা বায়েই এম্বুলেন্স মাতি লৈ গৈছিল। এতিয়াও বিদিশা থকা হ'লে চিন্তাই নাছিল। কিন্তু

হোষ্টেলৰ প্ৰিফেক্ট দীপা বাৰ দেউতাকৰ আকস্মিক বিয়োগত বাকী দুইজনী প্ৰিফেক্টো যাব লগা হ'ল। গতিকে এতিয়া সন্ধ্যায়েই আগভাগ নলৈ উপায় নাই। ৰুবীৰ ৰুমলৈ গৈ যিমান পাৰে তাইক ধৈৰ্য ধৰিবলৈ কৈছিল সন্ধ্যাই। এই অভিজ্ঞতা তাইৰ একেবাৰে নতুন। বেমাৰ বুলিলেই কিবা ভয় লাগে তাইৰ সৰুৰে পৰা। এই পৰিস্থিতিত সেয়ে অলপ অকলশৰীয়া যেনো লাগিল তাইৰ। হঠাৎ সন্ধ্যাৰ মনত পৰিল, ৰুবীৰ ৰুমমেট জেউতি সিহঁতৰ wing representative। তাই চাগে গম নাপাই, নহ'লে ৰুবীৰ এই অৱস্থাত নিশ্চয় এৰি নগ'ল হয়। সন্ধ্যাই জেউতিলৈ ফোন লগালে,

"সন্ধ্যা কোৱা, মই লাইব্ৰেৰীত।" যিমান পাৰি সিমান মাতটো সৰুকৈ ক'লে জেউতিয়ে।

"জেউতি, সোনকালে হোষ্টেল আহা। ৰুবীৰ গা খুব বেয়া। বমি কৰিছে। মই এম্বুলেন্সলৈ ফোন লগাইছোঁ।" উত্তেজনাত সন্ধ্যাৰ মাতটো ডাঙৰ হৈয়ে ওলাইছিল।

"অহ্, ফোন লগাইছা যেতিয়া আহিবই দিয়া এম্বুলেন্স। মোৰ মানে কাইলৈ বহুত টান পেপাৰ এখন আছে। তাতে বাকী exam দুটাতো মাৰ্কচ কম হৈ আছে। so, I hope you can understand।" খুব স্বাভাৱিক সুৰত কোৱা জেউতিৰ কথাত স্তব্ধ হৈ গৈছিল সন্ধ্যা। মানুহ ইমান আত্মকেন্দ্ৰিক কেনেকৈ হ'ব পাৰে? তাকো ৰুমমেটৰ এই অৱস্থাত? আজি সন্ধ্যাৰ এইটো অৱস্থা হোৱা হ'লে বিদিশাই এইদৰে ক'লে হয় নে? ছিহ, এনেকুৱা মানুহলৈ ঘিণ উপজে সন্ধ্যাৰ। কি কৰিব মাৰ্কছ লৈ, যদি নিজৰ ভিতৰৰ মানৱীয় অনুভূতিখিনিকে মাৰি পেলাই? যিজনী ছোৱালীৰ লগতে ৰাতিপুৱাৰ পৰা ৰাতিলৈকে একেলগে থাকে, তাইক এই অৱস্থাত এৰি কি সতেৰে নম্বৰ গোটাবলৈ পঢ়িব পাৰিছে? কথাবোৰ ভাবি থাকোতেই ৰুবীয়ে আকৌ এবাৰ বমি কৰিলে। সন্ধ্যাই তাইক সাৱটি ধৰি মুখখন বিচনাৰ তললৈ উবুৰিয়াই দিলে। পানী অকণ খোৱাই অলপ তাইৰ মুখখনত সানি দিলে। এনেতে মাহীয়ে খবৰ দিলেহি এম্বুলেন্স আহিল। সন্ধ্যাই অকলেই লৈ গ'ল তাইক। যাওঁতে মাহীক কৈ গ'ল যাতে ৰুমটো চাফা কৰাই থয়। ঘন ঘনকৈ উশাহ লৈ থকা ৰুবীয়ে এম্বুলেন্সত শুই জোৰেৰে মুঠি মাৰি ধৰি আছিল সন্ধ্যাৰ হাতটো। চকুৰ পৰা ওলাই আছিল অহৰহ পানী।

"একো নাই ৰুবী, চব ঠিক হৈ যাব। মই আছোঁ নহয়। নাকান্দিবা।" বাৰে বাৰে সন্ধ্যাই আওঁৰাই আছিল এই কথাখিনি। এম্বুলেন্স আগবাঢ়িছিল হেল্থ চেন্টাৰৰ ফালে। পাটকাই পাৰ হৈয়েই কাষতে পাঞ্জাৱ নেচনেল বেংকটো। তাৰ কাষতে থকা গলীটোৰে গ'লেই এফালে শৰাইঘাট হোষ্টেল আনফালে হেল্থ চেন্টাৰ। পিছে সেইটো গলী সাৰিয়েই আৰু দুটা ৰাস্তা পাই, এটাৰে মেইন গেটৰ ফালে যাব পাৰি আৰু আনটোৰে কেম্পাছ

Kaushik

কে ভি অৰ্থাৎ চেন্ট্ৰেল স্কুল। তাৰ কাষতেই হেল্থ চেন্টাৰ। ঠাইখিনিত দিনত স্কুলখনৰ ল'ৰা ছোৱালীবোৰে জীপাল কৰি ৰাখে যদিও ৰাতি খুউব নিৰ্জন। সেই ৰাস্তাটোতেই তক্ষশীলা বুলি আৰু এখন স্কুলো আছে। সকলোবোৰ পাৰ হৈ হেল্থ চেন্টাৰটোত সোমালগৈ সিহঁত। তাতে থকা নাৰ্চ গৰাকীৰ সহায়ত ৰুবীক ধৰি কেবিন এটাৰ বিচনাত শোৱালে সন্ধ্যাই। ডাক্তৰ গৰাকী আহি পোৱা নাছিল। ৰুবীৰ হাতখন এৰি দিয়া নাছিল সন্ধ্যাই। ৰুবী যেন ভাগৰি পৰিছিল। এক কি দুই মিনিটৰ ভিতৰতে ডাক্তৰ ৰূপালী মেম পালেহি। মেম গৰাকী সন্ধ্যাৰ চিনাকি। হাঁহি মুখেৰে কথাখিনি সুধি ৰুবীক পৰীক্ষা কৰিবলৈ লাগিল। ডাক্তৰৰ মাত্ৰ এটি পৰশতেই যেন শান্ত হৈ পৰিছিল ৰুবী। এৰা, ডাক্তৰৰ উপস্থিতিতেই যেন আধা বেমাৰ ভাল হৈ যায়। মেমে গেছ ফৰ্মৰ বাবে হোৱা বুলি ক'লে। কিবা টেবলেট এটা খাবলৈ দিয়াৰ লগতে দুটা চেলাইন লগে লগেই লৈ ল'বলৈ দিলে। তাত চিকিউৰিটী, নাৰ্চ আৰু এম্বুলেন্সৰ মানুহজনো যিহেতু আছেই গতিকে অলপ সময় ৰৈ তাতে চেলাইন দুটা লৈ যাবলৈ পৰামৰ্শ দিলে ৰূপালী মেমে। চেলাইনটো দি কিছু সময় সন্ধ্যাৰ লগত কথা পাতি মেম গ'ল গৈ। নাৰ্চ গৰাকী এবাৰ কেবিনলৈ আহি আকৌ ওলাই গ'ল। ৰুবীৰ মূৰত হাত ফুৰাই কাষতে বহি আছিল সন্ধ্যা। চকু জপাই থকা ৰুবীক দেখি এজনী সৰু ছোৱালীৰ দৰে লাগিছিল। গোল মুখৰ মৰম লগা ছোৱালীজনী। বেমাৰৰ সময়ত ঘৰৰ মানুহৰ প্ৰয়োজনীয়তা সন্ধ্যাই বুজে। সেইবাবেই যিমান পাৰে মৰমেৰে আৱৰি ৰাখিছে তাই। তথাপি সন্ধ্যাৰ নিজৰো অকলশৰীয়া অনুভৱ নোহোৱা নহয়। তাতে এই হেল্থ চেন্টাৰটো এই সময়ত কিবা ভূত বঙলাৰ দৰে হৈ পৰে। সমুখৰ লাইটটোৰ বাহিৰে ইফাল সিফাল চবফালেই আন্ধাৰ। সন্ধ্যাহঁত থকা কেবিনটোত লাইট আছে, তাৰ বাহিৰত আকৌ আন্ধাৰ। কেনিও কাৰো মাত নাই। মাজে মাজে দূৰৰ পৰা ভাঁহি অহা কুকুৰৰ ৰাওচি। পাটকাইৰ ওচৰত চিঞৰিছে চাগে। এনেতে বিদিশা বাই ফোন কৰিলে,

"সন্ধ্যা, তই অকলে শুব পাৰিবি নে? মই ময়ূৰী নহ'লে কংকনাক কৈ দিম তাইয়ে শুবহি নহ'লে দে।"

সন্ধ্যাৰ মনটো এনেয়ে ভাল লাগিল। এই বাজনীও যে, য'তে যি অৱস্থাত নাথাকক লাগিলে তাইলৈ চিন্তাটো নেৰে কেতিয়াও। নিজৰ বায়েক এজনীৰ অভাৱ বিদিশায়েই পূৰণ কৰিছে। হয়, সন্ধ্যাৰ ঘৰতো অকলে শোৱাৰ অভ্যাস নাই। মাহেকত সেই বিশেষ দুদিন অকলে শুলেও ৰুমটোৰ সিখন বিচনাত মাক নহ'লে আইতাক। মূঠতে তাই

Kaushik

অকলে নোৱাৰে। কিন্তু ইয়াত আকৌ এই পৰীক্ষাৰ মাজত কাৰোবাক মাতি আমনি দিবলৈ মন নগ'ল। সেইবাবেই ক'লে,

"নালাগে বা, মই পাৰিম অকলে।"

"হ'ব তেন্তে" বুলি ফোন কাটিলে বিদিশাই। ৰুবীৰ কথাটো ইচ্ছা কৰিয়েই তাইক নক'লে সন্ধ্যাই। তাই দূৰত আছে যেতিয়া থাওঁক। ইয়াৰ কথাবোৰ জানি আকৌ চিন্তাহে কৰিব। তাতকৈ আহিলে ক'ব সকলো। সময় পাৰ হৈছিল। ৰুবী প্ৰায় টোপনিত। প্ৰথম চেলাইনটো শেষ হওঁ হওঁ। ৰুমটোতে খোজকাঢ়ি আছিল সন্ধ্যাই। ক'ৰবাত ভয়টোৱে লগ এৰাই নাই তাইক। আকৌ ফোনটো বাজিল। সিপাৰত অভিমন্যু,

"কি কৰিছ, পঢ়ি হ'ল নাই?"

এই সময়ত সাধাৰণতে ফোন নকৰে সি। ৰাতি দেৰিকৈহে এবাৰ কৰি পিছদিনাৰ পৰীক্ষা থকা পেপাৰখনৰ কিবা অসুবিধা আছে নেকি খবৰটো লয়। কিন্তু কাইলৈতো সিহঁত দুইটাৰে বেলেগ বেলেগ পেপাৰ আছে। তেন্তে কিয় কৰিলে বা? হয়তো সন্ধিয়া তাইক নাযাওঁ বুলি কোৱা কাৰণেই। অভিমান ভঙাত এওঁতকৈ উস্তাদ আন কোনোবা আছে জানো? সৰু সৰু মাতেৰে গোটেই ঘটনাটো ক'লে তাই।

"কি? তই হেল্থ চেন্টাৰত অকলে আছ? ফোন এটা কৰিব নোৱাৰ নেকি? ৰহ গৈছোঁ।" বুলি ফোনটো কাটিলে সি। তাই পিছে আশা কৰা নাছিল এইখিনি। সি যে তাই অকলে আছে বুলি আহি ওলাবহি তাই ভবাও নাছিল, তাতে পৰীক্ষাৰ আগত। নভবা কথাবোৰ এনেকৈয়ে হয় চাগে। যি নহওঁক অভিমন্যু আহিম বুলি কোৱাত সন্ধ্যাৰ ভাল লাগিল। আশা নকৰাকৈ পোৱাখিনিতেই সুখৰ অনুভূতিবোৰ লুকাই থাকে নেকি বাৰু? সি আহি ফোন কৰিলে তাইক,

"কোন ফালে?"

অলপ ওলাই গৈ কেবিনলৈ আগবঢ়াই আনিলে তাই। কেবিনটোৰ সমুখত দীঘলীয়া ক'লা ক'লা চকীৰ শাৰীটো। তাতেই বহিল দুইটা। কেনেকৈ ৰুবীক ৰুমত প্ৰথম দেখিছিল সেইখিনিৰ পৰাই সকলো ক'লে সন্ধ্যাই। জেউতিৰ কথাও। অভিমন্যুৰ উপস্থিতিত স্বস্তিৰ নিশ্বাস এৰিছিল তাই। যেন বিপদৰ মাজত ঘৰৰ কাৰোবাক লগ পাইছে। কিবা কিবি কথা পাতি আছিল সিহঁতে। কেনেকৈ ইয়াৰ spicy খানাবোৰে বেমাৰ কৰে আদি। মাজতে ৰুবীৰ চেলাইনটো শেষ হ'ল। নাৰ্ছ গৰাকীয়ে দ্বিতীয়টো লগাই দিলে। অভিমন্যুলৈ বেয়া

Kaushik

লাগিছিল সন্ধ্যাৰ। তাইৰ লগতে তাৰো পঢ়া খতি। তেতিয়ালৈ ন নে দহ মান বাজিছিল হ'বলা। এবাৰত তাই কৈছিল,

"তই গৈ থাক নহ'লে।"

"চুপ। বহি থাক মনে মনে।" তাৰ গালিটোও ভাল লাগিছিল সন্ধ্যাৰ। হাতখন তাৰ হাতৰ ওপৰত থৈ মূৰটো তাই পেলাই দিছিল তাৰ বাহুটোত। চিন্তা আৰু উত্তেজনাত বিষাইছিল অলপকৈ। তাৰ কান্ধত থৈ যেন কিছু সকাহ পাইছে। ঠাইখিনি এন্ধাৰ। ৰুবীৰ কেবিনটোৰ পৰা পাতলকৈ ক্ষীণ পোহৰৰ ৰশ্মি এটাই বৈ আছিল অলপ। বাহিৰত জিলিৰ জি জি শব্দটো। মূল দুৱাৰখন খোলা আছিল বাবে এচাটি ৰিব ৰিব বতাহ। দুই এটা সৰাপাত বতাহতে দুৱাৰখনৰ এইপাৰেও সোমাই আহিছিল।

"মূৰ বিষাইছে নি?" সৰু মাতেৰে অভিমন্যুয়ে সুধিলে।

"ওমম" চকুকেইটা মুদিয়েই উত্তৰ দিলে সন্ধ্যাই। তাৰ কান্ধটো যেন গাৰুৰ দৰে লাগিছিল। তাইৰ হাতটো তেতিয়াও অভিমন্যুৰ হাতৰ মাজত। আলফুলে আনটো হাতেৰে সি তাইৰ কপালখনত আঙুলি বোলাইছিল। বুঢ়া আৰু তৰ্জনী আঙুলিটোৰে কপালৰ দুফাল আৱৰি লাহে লাহে মাজলৈ আনিছিল। আৰাম পাইছিল সন্ধ্যাই। লগতে পাতলীয়া বতাহ জাক। বাহিৰত কুঁৱলীও পৰিবলৈ লৈছিল হ'বলা। বতাহ জাক লাহে লাহে কুঁৱলীৰ পৰশ লাগি চেঁচা হৈ আহিছিল। বতাহত কপালৰ মাজলৈ উৰি অহা সন্ধ্যাৰ চুলি খিনি অভিমন্যুয়ে আলফুলে কাণৰ কাষলৈ থেলি দিছিল। কেবিনৰ বাহিৰৰ চকীত অভিমন্যুৰ কান্ধত মূৰ থৈয়ে ভালেখিনি সময় পাৰ কৰিছিল সন্ধ্যাই। ত্ৰস্তৰ মূৰ্তি যেন হৈ গৈছিল সন্ধ্যা আৰু অভি। বাহিৰত কুঁৱলীৰ মাজত ধূসৰ জোনাক। ডাৱৰৰ মাজে মাজে অহা যোৱা কৰি আছে।

"চেলাইন শেষ। লৈ যাব পাৰিব পেচেন্টক।" নাৰ্চ গৰাকীৰ কথাত তন্দ্ৰা ভাঙিল সন্ধ্যাৰ। কেবিনলৈ সোমাই গ'ল। ৰুবী এতিয়া বহুখিনি সুস্থিৰ। তথাপি তাইক ধৰি ধৰি আনি এম্বুলেন্সত বহালে সন্ধ্যাই। অভিমন্যুও চাইকেলত উঠি পাটকাইলৈ আগবাঢ়িল।

হোষ্টেল সোমাইহি মানে প্ৰায় এঘাৰ বাজিছিল অভিমন্যুৰ। তেতিয়ালৈ আৰু ভাত নাথাকে। তথাপি সি এবাৰ ডাইনিং ৰুমত সোমালে। নাই, ভাতটো বাদেই লাইটটোও

বন্ধ। উপায় নাই আৰু। ৰুমত থকা ব্ৰেডেই খাব লাগিব। বাকীকেইখন বয়জ হোষ্টেলত থকাৰ দৰে সিহঁতৰ পাটকাইত কেন্টিন নাই। পাটকাই হোষ্টেলটো নতুন। ২০১১ চনতহে আৰম্ভ হৈছে। সেইবাবেই হ'বলা কেন্টিন অহা নাছিল তেতিয়ালৈ। দেৱা দাই কৈছে সোনকালে আহিব বুলি। কেতিয়া আহে নাজানে আৰু। ৰুমত ব্ৰেড খাম বুলি আহি ৰুমত সোমাই আচৰিত হ'ল অভিমন্যু। তাৰ টেবুলত এখন ভাতৰ কাঁহী। কোনোবাই থৈ গৈছে। ওপৰত আন এখনেৰে ঢাকি থৈ দিয়া আছে।

"ঐ, তুমি ক'ৰবাত গৈছিলা বোলে। তোমাৰ লগৰ ময়ূঁৰ আহিছিল, সি দি থৈ গৈছে ভাত।" ৰুমমেট প্ৰণয় দাৰ কথাত হে গম পালে। এৰা, ময়ূঁৰৰ বাহিৰে আৰু কোন হ'ব।অথনি সন্ধ্যালে ফোন কৰোঁতে ময়ূঁৰো আছিল। সেইবাবেই তালৈ যোৱা সি গম পায়। বাৰু যি হওঁক, লঘোণে থাকিব লগা নহ'ল সি। হাত মুখ ধুই ভাতকেইটা খাবলৈ ল'লে অভিমন্যুয়ে।

Kaushik

ৰুবীৰ ভাত খাবলৈ মন নাছিল যদিও সন্ধ্যাই নামানিলে। সুদা নেমু চেপি দালি অকণেৰেই তাই নিজে খোৱাই দিলে। দেৰি হোৱাৰ বাবে ভাত নাপালেই হেঁতেন সিহঁতে। পিছে মাহীয়ে সিহঁত দুজনীৰ বাবে ভাত পৃথককৈ থৈ দিছিল। নিজ হাতেৰে ৰুবীক খোৱাই থাকোঁতে ৰুবীৰ চকুপানী ওলাইছিল। ভাতকেইটা খোৱাই, আঠুঁৱাখন তৰি দি তাইক শুৱাই দিলে সন্ধ্যাই। ৰুবীৰ ৰুমমেট জেউতি আহি পোৱা নাছিল তেতিয়ালৈ। বাৰ বজালৈকে লাইব্ৰেৰী খোলা থাকে। হয়তো তেতিয়াহে পাবহি। ৰুমৰ লাইটটো অফ কৰি আহিবলৈ লওঁতেই ৰুবীয়ে ক'লে,

"সন্ধ্যা..."

"কোৱা ৰুবী, আকৌ গা বেয়া কৰিছে নেকি?" সন্ধ্যাৰ প্ৰশ্নত হুকহুকাই কান্দি দিলে ৰুবীয়ে।

"কি হ'ল ৰুবী? কান্দিছা কিয়?" চিন্তা হৈছিল সন্ধ্যাৰ আকৌ।

"মোক ক্ষমা কৰি দিবা সন্ধ্যা। তোমাক মই এটা সময়ত ইমান বেয়াকৈ কৈছিলোঁ আৰু আজি তুমিয়েই মোৰ বাবে ইমানখিনি কৰিছা।" ভঙা ভঙা কান্দোনেৰে ৰুবীয়ে কোৱা কথাখিনিতহে মনত পৰিল সন্ধ্যাৰ, কৌশিকৰ ঘটনাটোৰ বাবে কেইবাদিনো এইজনী ৰুবীৰ কটু বাক্যয়েই তাইক কন্দুৱাইছিল। যি নহওঁক, তাই যে বুজি পাইছে সেয়াই

যথেষ্ট। এৰা, কেতিয়াবা কিছুমান কথা পোহৰলৈ আহিবলৈ এন্ধাৰৰো প্ৰয়োজন হয়। পোহৰততো সকলোৰেই লগত থাকে, কিন্তু এন্ধাৰত বেলেগতো বাদেই ছাঁটোৱেও লগ এৰি যায়। কথাবোৰ যেন ৰুবীয়েও বুজি পাইছিল।

"পুৰণা কথাবোৰ বাদ দিয়াচোন ৰুবী। এতিয়া কান্দি থাকিলে বেছি হ'ব কিন্তু বেমাৰ। টোপনি যোৱা।" বুলি তাইৰ মূৰত হাত ফুৰাই ওলাই আহিল সন্ধ্যা।

বিদিশা বাক ভয় নালাগে বুলি ক'লেও এতিয়া চোন কিবা এটা ভয় ভয় লাগিছে সন্ধ্যাৰ ৰুমটোত অকলে। অলপ সময় পঢ়ি আছিল বাবে অনুভৱ নকৰিলে। কিন্তু শোঁ বুলি বিচনাত পৰি লাইটটো অফ কৰোঁতেই ক'ৰবাত বুকুখন কঁপি উঠিল। অভিমন্যুলৈকে ফোন এটা কৰা যাওঁক নেকি। তালৈ মনত পৰোঁতে আকৌ এক চাকনৈয়াত সোমাল সন্ধ্যা। কেৱল তাই অকলে আছে বাবেই সি পঢ়া ক্ষতি কৰি তাইৰ কাষত ৰৈছিল গৈ। তাইও যে কিমান সকাহ পাইছিল তাৰ উপস্থিতিত। এনেকুৱা সময়তেই সন্ধ্যাৰ ভাৱ হয়, জুৰি নিমিষাহঁতে কোৱা কথাবোৰ সঁচা নেকি বাৰু? কৌশিকৰ সেই ভিডিঅ'টো কৰাৰ পৰা লৈ আজিলৈকে অভিমন্যুৰ প্ৰতিটো কামতে চোন তাইৰ প্ৰতি থকা অনুৰাগেই প্ৰকাশ পাইছে। এইয়া প্ৰেম নহয়নে? নহ'বও পাৰে। কিন্তু চবেই যে ইমান জোকাই? হ'বও পাৰে চাগে। এইবোৰ কথা তাই কাক ক'বনো বাৰু? তাই জানে বেলেগে শুনিলে তাইকেই দোষ দিব। তাইৰো খং উঠে নিজৰ ওপৰতে। ইমান কিয় কনফিউজড নো তাই? কিন্তু জীৱনটো হয়তো এনেকুৱাই। চিনেমা নাইবা কাহিনীত দেখোৱাৰ দৰে সকলোবোৰ মসৃণ হোৱা হ'লে জানো সেইটো জীৱন হ'ল হয়? আৰু ভাবিব নোৱাৰিলে সন্ধ্যাই। ফোনটো লৈ অভিমন্যুলৈ লগালে। ৰাতি প্ৰায় এক বাজিছিল। সি চাগে পঢ়িয়ে আছে। তাৰ লগত অলপ কথা পাতিলেই ভয়টো কমিব তাইৰ। আজিতো অনুৰণেও কৈছিল, সিহঁত দুইটাক অলপ সময় কটাবলৈ। তেতিয়াহে দুয়োয়ে দুয়োকে বুজি পাব। কিন্তু ৰাতি সেই এক বজাত অভিমন্যুৰ মোবাইলৰ পৰা অহা উত্তৰে বুকুখন যেন মুচৰি গৈছিল সন্ধ্যাৰ। উত্তৰটো আছিল,

"The number you have dialed is currently busy"

(আগলৈ)

#নিৰিবিলি

Kaushik

Part 37

অভিমন্যুলৈ ফোন কৰিলে এই শাৰীটো শুনিলেই থংটো টিঙিচকৈ আহে সন্ধ্যাৰ।

"The number you have dialed....."

অন্য সময়ত বাৰু বুজিব পাৰি, কিন্তু এতিয়া? এই ৰাতি এক বজাত? তাতে কাইলৈ পৰীক্ষাও আছে। কাৰ লগত বিজি আছে ই? অলপ সময় ৰৈ চালে সন্ধ্যাই। নাই কল বেক কৰাৰো কোনো লক্ষণেই নাই। উপায় নাই আৰু। ভয়ে ভয়েই শুব লাগিব আজি। এনেই ইউটিউৱতে কিবা কমেডি ভিডিঅ' উলিয়াই চাবলৈ ল'লে সন্ধ্যাই। এনেতে হোৱাটচ এপত এটা মেচেজ,

"Oi xula ni"

ৰাতি অহা মেচেজৰ সময়তেই সন্ধ্যাই আজিকালি গম পাই কোনে দিছে। অনুৰণ। লগে লগেই দিলে তাইও,

"Nai, kua"

"Roommate tu nai, okole asa?" অহ্, সি এইটো মনত ৰাখি থৈছে বুলি তাই ভবাও নাছিল। বাটত আহি থাকোঁতেই মাজতে তাই কৈছিল বিদিশাও দীপাৰ ঘৰত মানে গুৱাহাটীত থাকিল বুলি।

"Um, okolei" তাই দিলে।

"Voi lagise ni?" আচৰিত, এই ল'ৰাটোৱে কেনেকৈ তাইৰ মনটো ইমান বুজে বাৰু? সেইবাবেই তাৰ আগত মনৰ সকলো কথাই খুলি ক'ব পাৰিছিল সন্ধ্যাই। বিচাৰি পাইছিল এজন সঁচা বন্ধুক।

"Olop olop.. tumi keneke gom pala?" সন্ধ্যাই সুধিলে।

"Janu moi" অনুৰণৰ সৰু সৰু উত্তৰবোৰতেই যেন সোমাই থাকে হেজাৰ নোকোৱা কবিতা। কিন্তু তাক বুজি পোৱাৰ জোখাৰে সন্ধ্যা হয়তো পৰিপক্ক নহয়। সন্ধ্যাই কি দিব ভাবি থাকোঁতেই আকৌ মেচেজ দিলে সি,

"Data tu on kori xui jua, asu moi, voi lagile msg diba"

হাঁহি এটা বিৰিঙিছিল সন্ধ্যাৰ। অলপ আগলৈকে আমনি কৰি থকা ভয়টোও ক'ৰবালৈ উৰি গৈছিল যেন। "Thike ase" বুলি দি মোবাইলটো কাষতে থৈ চকু দুটা মুদি দিলে সন্ধ্যাই। এক অনামী অনুভৱে আৱৰিছিল। ভয়, শংকাৰ কোনো স্থান যেন নাই তাত।

Kaushik

যেন আন কাৰোৰে প্ৰয়োজনো নাই এতিয়া। এই যে আন কাৰোৰে প্ৰয়োজন নোহোৱাকৈ কোনোবাই হঠাৎ হৃদয়খন ভৰাই, প্ৰেম বাৰু নহয় কিন্তু সেয়াও চাগে এক ভালপোৱাই। লাহে লাহে তন্দ্ৰা নামিছিল সন্ধ্যাৰ চকুলৈ।

পাটকাইৰ ছাদ। তৃতীয় মহলাৰ পৰা ওপৰলৈ উঠি যোৱা চিৰিকেইটাৰে গ'লে বহল চোতালৰ দৰে ঠাই ডোখৰ। য'ত উৰে নিশা জোনাক সৰে। য'ত এন্ধাৰেও কবিতা ৰচে। গোটেই হোষ্টেলৰ আৱাসীৰ বাবে ই যেন এক আৱেগ। বাকী কেইখন হোষ্টেলৰো ছাদ আছে। কিন্তু কিছু নতুন হোৱাৰ বাবে যেন ইয়াৰ মাদকতা কিছু বেলেগ। কোনোবাই যদি বটলৰ শীতল পানীত জীৱনৰ ৰংবোৰ মেলে, কোনোবাই আকৌ আনে নেদেখাকৈ অশ্ৰুৰ ভাষাৰে জীৱনৰ সাঁথৰ বিচাৰে। কোনোবাই যদি ফোনত প্ৰেয়সীৰ লগত উৰে নিশা কথা পাতে, কোনোবাই হয়তো মন যায়, আৱেগে নাইবা হিয়া দিয়া নিয়াৰ মাজতেই ভালপোৱাৰ মৰীচিকা খেদে। কোনোবাই যদি নিচাৰ পৃথিৱীত ঘূৰে, কোনোবাই আকৌ হুমুনিয়াঁহ বোৰো ধোঁৱাৰ মাজতে এৰে। মুঠতে প্ৰেমৰ পৰা পাৰ্টীলৈ, ট্ৰেজেদীৰ পৰা ফ্ৰাষ্ট্ৰেচনলৈ হেজাৰ গল্পৰ নীৰৱ সাক্ষী পাটকাইৰ ছাদ।

ছাদ আচলতে দুখন। এখন দ্বিতীয় মহলাৰ আনখন তৃতীয় মহলাৰ। দ্বিতীয় মহলাৰ খনত কাপোৰ মেলা, তুলী ৰ'দত দিয়া আদিবোৰ বেছিকৈ হোৱাৰ বাবে একেবাৰে ওপৰৰ খনত হে ৰাতি খন্তেক জিৰাবৰ বাবে ল'ৰাবোৰ যায়। এই ছাদখনৰ দুটাভাগ। মাজৰ বহল পকাৰ মজিয়াখন। দুইফালে সৰু সৰু পিলাৰবোৰ সাৰি ওখ ওখ টিংবোৰ। য'ত জোনটোৱে কথা পাতে, তৰাই সপোন ৰচে। ইয়াৰ পৰা তলৰ ছাদখনো দেখি থাকি। লগতে সমুখৰ ওখ ওখ পাহাৰৰ আৰ্হিত নিৰ্মিত পকা বেৰখনৰ মাজেৰে তলৰ সেউজীয়াবোৰ দেখি। সেই বেৰখনত আঁওজিয়েই ফোনটো কাণত লৈ প্ৰায় এক ঘন্টা ধৰি কথা পাতি থিয় হৈ আছিল অভিমন্যু। এসময়ত ফোনটো থ'লে। কাষৰ হেলনীয়া টিংখনত গাটো পেলাই অলসভাৱে শুই দিলে সি। সৰি পৰিছিল কেইটামান কেঁচা হুমুনিয়াহ। চকুযুৰি অলপ সেমেকিছিলো হ'বলা। এনেতে আকৌ ফোনটো বাজিল,

"ক, এই ছাদত আছোঁ।"

ফোনটো থ'লে। কিছু সময়ৰ পাছত ছাদলৈ সোমাই অহা দুৱাৰখন খোল খালে। চিৰিৰ ওচৰত থকা লাইটৰ পোহৰ খিনিয়ে জোৰকৈ আহি ছাদৰ এন্ধাৰখিনিৰ মাজত অনাধিকাৰ প্ৰৱেশ কৰাৰ এটি বৃথা চেষ্টা চলাইছিল যদিও সফল নহ'ল। দুৱাৰখন

Kaushik

আকৌ বন্ধ কৰি অভিমন্যুৰ কাষতে আহি বহিলহি ময়ূঁৰ। বহিয়েই লাইটাৰটো মাৰি ছিগাৰেট এটা জ্বলালে সি। অভিমন্যুয়ে নাখাই, সেইবাবে সিয়েই মুখত ল'লে। প্ৰথম হোপাৰ ধোঁৱাবোৰ উলিয়াই দি সুধিলে,

"আকৌ ফোন কৰিছিল নেকি?" ময়ূঁৰৰ প্ৰশ্নত মূৰ দুপিয়ালে অভিমন্যুয়ে। কিছু নীৰৱতা। কেৱল ছিগাৰেটৰ ধোৱাবোৰ উৰিছিল কুণ্ডলী পকাই। অলপ পাছত অভিমন্যুয়েই ক'লে,

"কি কৰিম ক"

"কৰিব লগা একো নাই। ক'ৰবাত পঢ়িছিলোঁ, প্ৰেম জীয়াই থকাৰ প্ৰেৰণা হ'ব পাৰে কিন্তু প্ৰেম মানে সমগ্ৰ জীৱন কেতিয়াও হ'ব নোৱাৰে।" লাহে লাহে ধোঁৱাবোৰ এৰি কৈ গৈছিল ময়ূঁৰে।

"তই এই ছিগাৰেট সোপা কিয় খাৱ অ' ইমান?" সমুখলৈ অহা ধোঁৱাবোৰ হাতখনেৰে থেলি অভিমন্যুয়ে বিৰক্তিৰে সুধিলে।

"ভাল লাগে ধোঁৱাবোৰ।" চকু দুটা মুদি ময়ূঁৰে ক'লে।

"কি ভাল পাৱ হা? জীৱনটোত বেমাৰী হৈ ল'বলৈ মন নেকি তোৰ?" অভিমন্যুৰ প্ৰশ্নত অলপ হঁহাৰ দৰে কৰি ময়ূঁৰে কৈছিল,

"জীৱনলৈ ভয় কৰা মানুহেহে জীৱনৰ কথা বেছি ভাবে, মই জীৱনলৈ ভয় নকৰোঁ।"

"উফ্, তোৰ যে কথাবোৰ। আগলৈ ভাল গল্প নহ'লে উপন্যাস লিখিব পাৰিবি। ব'ল ৰুম যাওঁ এতিয়া।" অভিমন্যুয়ে থিয় হৈ ক'লে।

"তই যা।" ময়ূঁৰ সেই একেই, যেন স্তব্ধ। "দেৰি নকৰিবি" বুলি কৈ অভিমন্যু ওলাই আহিল তাৰ পৰা। হেলনীয়া টিংখনত শুই আকাশখনলৈ চাই এবাৰ ধোঁৱাখিনি মাৰি পঠালে ময়ূঁৰে। এনেতে কাষত যেন কোনোবা আহি বহিলহি। এটা চেঁচা চেঁচা পৰশ। ময়ূঁৰে চকু মুদি দিলে। অস্পষ্ট মাতেৰে উচ্চাৰণ কৰিলে,

"ৰাধা"।

জ্বলি জ্বলি শেষ হোৱা ছিগাৰেটটো সৰি পৰিছিল তললৈ।

Kaushik

অৱশেষত পৰীক্ষা মানে mid term শেষ হ'ল। সকলোৰে ঘৰ যোৱাৰ দুৰ্বাৰ হেঁপাহ। সঁচাই, যিমান যি হলেও ঘৰখনৰ দৰে যেন একোৱেই হব নোৱাৰে। সন্ধ্যা এবাৰ গৈ অহাৰ পাছতো এতিয়া সম্পূৰ্ণ এক সপ্তাহৰ বাবে যাবলৈ পোৱাত খুব ফুৰ্তি। তাতে আজি তাই প্ৰথম অকলে ঘৰলৈ যাব। আগৰ বাৰ যাওঁতে দেউতাকেই লৈ গৈছিলহি। পিছে এইবাৰ তাই মানা কৰিলে। সদায় কিমান দেউতাকে নিবহি। তাই সৰু ছোৱালীনে কিবা? পাৰিব, এইবাৰ অকলেই পাৰিব তাই। পৰীক্ষাৰ পৰা ওলায়েই ডিপাৰ্টমেন্টৰ বাহিৰতে ৰৈ সন্ধ্যাই অভিমন্যুক বিচাৰিলে। সি তাইতকৈ আগতেই পৰীক্ষা হলৰ পৰা ওলাইছিল। কিন্তু বাহিৰত নাইয়ে চোন। কালি ফোন নধৰাৰ বাবে খং উঠি আছিল যদিও আজি যোৱাৰ আগত এবাৰ লগ কৰি নগ'লে তাইৰ নিজৰ মনটোৱেই বেয়া লাগি থাকিব। সেইবাবেই বিচাৰি আছে তাক। শেষত ফোনেই লগালে,

"Yes, ক" ফোন টো উঠাই চিনাকি সুৰটোৰে কলে সি।

"ক'ত আছ তই"

"বাছত আকৌ। পৰুৱা চাৰিআলিত গোলাঘাটৰ বাছত" সহজ ভাবে ক'লে সি।

খং কৰিব নে কান্দিব ভাবিব নোৱাৰা হল সন্ধ্যাই। তাইক এবাৰো মাত নলগোৱাকৈ সি কেনেকৈ যাব পাৰিলে।

"At least কৈতো যাব পাৰ" বুলি ফোনটো কাটি দিলে তাই। মন নাই আৰু কথা পাতিবলৈ। তাই যেতিয়াই তাৰ বিষয়ে ভালকৈ ভাবিবলৈ লয়, তেতিয়াই সি এনেকুৱা কৰে।

খঙত প্ৰিয়াহঁতৰ বাবে নৰৈ চিধা ৰুম পালেগৈ সন্ধ্যা আৰু কাপোৰ জপাত লাগিল। সকলোৰে জোকোৱাৰ বাবে তাই এনেয়েহে ভাবি আছে, আচলতে অভিমন্যুৰ একোৱেই নাই তাইৰ প্ৰতি। হয়তো সি আন কাৰোবাক ভাল পায়। নহ'লেনো ৰাতি এটা বজাতো ফোনত বিজি থাকেনে? কথাবোৰ ভাবি থাকোঁতেই ফোন আহিল তাৰ। মন নগলেও ৰিচিভ কৰিলে সন্ধ্যাই।

"ঐ, বেয়া নাপাবি ও, আচলতে universityৰ বাছ নাপাম বুলি খুব লৰালৰিকৈ আহিলোঁ। লগত সীমাও আছে, তাইকো সুধি ল লাগিলে।"

আচৰিত, এক মূহুৰ্তৰ আগলৈকে যাৰ ওপৰত ইমান বেছি খং উঠি আছিল, তাৰ এটা ফোন কলে কেনেকৈ সলনি কৰি দিব পাৰে। হয়তো এইয়াই প্ৰেম, জুৰিহঁতে যেনেকৈ

Kaushik

কয়। ধেৎ, কি যে হ'ব মানে তাইৰ। ইমান কিয় চঞ্চল তাইৰ মনটো। একো যে থিৰতা নাই। সন্ধ্যাই ভাবি থাকোঁতেই আকৌ সিফালৰ পৰা মাতিলে সি,

"এতিয়া মুখেৰে মাতিবি নে মই উভতি যাওঁ গে?"

হাঁহি উঠিল তাইৰ,

"হ'ব দে, একো নাই। ভালকে যাবি, গৈ পালে ফোন কৰিবি।" চাৰি ঘন্টাৰ বাট অভিমন্যুৰ ঘৰলৈ। চিন্তা হোৱাটো স্বাভাৱিক তাইৰ।

"OK, bye" বুলি কাটিলে সি।

ফোনটো থৈ বিচনাতে বহি আছিল সন্ধ্যা, মুখত এটি মিচিকিয়া হাঁহিৰে। এই যে বাৰে বাৰে মান অভিমান, আকুলতা কিয় আহে বাৰু? এই খেলিমেলি অকল তাইৰহে হৈছে নে চব ছোৱালীৰে হয় বাৰু?

হঠাৎ হুৰমুৰকৈ প্ৰিয়া সোমাই আহিল,

"ঐ, পাগলী এনেকৈ ঘপকৈ গুচি আহিলি যে কাৰোলৈকো নোৰোৱা কে?"

"পেকিং কৰিব আছিল অ', তই বিচাৰি আছিলি নেকি মোক?" উপায় নাপাই মিছা মাতিলে সন্ধ্যাই। অভিৰ খঙত আহিছোঁ বুলি ক'লে আকৌ জোকাবলৈ আৰম্ভ কৰি দিব তাই।

"চবেই বিচাৰিছিল আকৌ, অনুৰণেও সুধিছিল।"

প্ৰিয়াৰ শেষৰ শাৰীটো শুনি হে অনুৰণৰ কথা মনলৈ আহিল সন্ধ্যাৰ। স্বাভাৱিক ভাৱেৰেই সুধিলে,

"কিবা কৈছিল নেকি অনুৰণে?"

"নাই,এনেই সুধিছিল সন্ধ্যা ক'ত আছে জানো নেকি বুলি" টেবুলৰ ওপৰত থকা জাৰটোৰ পৰা পানী খাই ক'লে প্ৰিয়াই।

ছেহঃ, নিজলৈকে খং উঠিল সন্ধ্যাৰ। অভিমন্যুৰ ওপৰত খং কৰি তাই কাকো আনকি অনুৰণকো মাত নলগোৱাকৈ গুচি আহিব লাগে নে? পৰীক্ষালৈ গৈ পাওঁতেই এবাৰ কথা পাতিছিল অৱশ্যে।

Kaushik

"ঐ, তই কাপোৰ জাপ, মই যাওঁ দে। তইতো আজিয়েই যাবি গে। so, bye" সাৰটি ধৰি টপকৈ চুমা এটা খাই ওলাই গ'ল প্ৰিয়া। এই মৰমবোৰৰ কাৰণেই এই চহৰ খন ভাল লাগে সন্ধ্যাৰ। প্ৰিয়া শিৱসাগৰৰ বাবে কাইলৈ ৰাতি পুৱাতে যাব। এতিয়াতো আধা দিন গ'লেই। তাই ওলাই যোৱাৰ পাছত মোবাইলৰ net টো on কৰিলে সন্ধ্যাই। লগে লগেই অনুৰণৰ নামৰে দুটাকৈ মেচেজে,

"Oi, kot asa?"

"Ghor golai ni"

সি সঁচাই বিচাৰি আছিল মানে তাইক। দোষী দোষী ভাৱেৰে লিখিলে তাই,

"Sorry, mur packing koriboloi thokar karone joldi ahi golu, jam olp pasot ghor" কি বুলিনো কয়, অভিমন্যুৰ খঙত আহিলোঁ। এনেও তাই অভিমন্যুৰ কথা অকল অনুৰণৰ আগতেই কৈছিল। সিও তাইক কথাবোৰ ক'বলৈ কৈ থৈছে। সেইবুলি এনেকৈ সৰু সৰু কথাবোৰ ক'লে সি আমনিও পাব পাৰে। লগ পালে বাৰু বেলেগ কথা।

ঠিক লগে লগেই reply আহিল, যেন সি ৰৈহে আছিল মেচেজটোৰ বাবে,

"Eku nai dia, ghor goi palege koba"

"ঘৰ গৈ পালে ক'বা" হাঁহিও উঠিল সন্ধ্যাৰ। কিছু সময়ৰ আগেয়ে তাই অভিমন্যুক দিছিল। Happy Journey বুলিতো সকলোৱে ক'ব। কিন্তু "ঘৰ গৈ পালে ক'বা" বুলি কোৱাজনেহে প্ৰকৃততে চিন্তা কৰে।

"Ok" বুলি সামৰি আকৌ কাপোৰ জপাত লাগিল তাই। কিছু সময়ৰ পাছতে বাছখন Essential পাবহি। হোষ্টেলৰ সকলোকে মাত লগাই ওলাই আহিল সন্ধ্যা। Essential ত বেলেগ ছোৱালী কেইজনীমানো আছিল। পৰীক্ষা দি ঘৰলৈ ওলাইছে সকলো। মনবোৰ জীপাল সকলোৰে। অলপ পাছত বাছখন আহিল। আধা ঘন্টা মানৰ পাছত মিছন চাৰিআলিত নামিলহি সন্ধ্যা। ইয়াৰ পৰাই বিশ্বনাথ চাৰিআলিলৈ বাছ ল'ব।

প্ৰায় ১ ঘন্টা মানৰ পাছত ঘৰ পালেগৈ সন্ধ্যা। কাপোৰ নোখোলাকৈয়ে অভিমন্যুলৈ ফোন লগালে তাই। সি চাগৈ ভাবি আছে তাই ঘৰ পালে নে নাই। এনেও তাৰ চিন্তাতো বেছিয়েই তাইলৈ। তাই অকলে ঘৰ যাম বুলি সিদিনা কওঁতেই সুধিছিল সি, "অকলে পাৰিবি জানো?" গতিকে তাক খবৰটো দি লোৱা যাওঁক। কিন্তু এবাৰ ৰিং হৈ হৈ কাটি গ'ল । চিন্তাত পৰিল সন্ধ্যা। অভি ঠিকে আছেতো ? আকৌ এবাৰ

Kaushik

লগালে তাই। এইবাৰ উঠালে সি। তাই ক'বলে লওঁতেই তাৰ তন্দ্ৰাভৰা স্বৰ কাণত পৰিলহি,

"কি হ'লনো অ', শুই আছিলোঁ। ৰাতিপুৱাও exam বুলি সোনকালে উঠিছোঁ।"

সন্ধ্যাই ফোন কৰা উচ্ছাসখিনি যেন ক'ৰবাত ম্লান পৰিছিল।

"নহয়, মানে মই পালোঁহি ঘৰ", কোনোমতে ক'লে কথাকেইটা তাই। আকুলতাৰ বিনিয়ত পোৱা অপ্ৰত্যাশিত উপেক্ষাই কিছু হতাশ কৰিছিল সন্ধ্যাক।

"অঁ হ'ব দে।" কথাটো কৈয়ে ফোনটো কাটি দিলে সি। হয়তো আকৌ টোপনিত পৰিল।

ফোনটো কাণৰ পৰা নমাবলৈও পাহৰি গ'ল যেন সন্ধ্যাই। তাৰ টোপনি ভাঙিলে তাই, তাকো বাছত যাওঁতে মৰা টোপনি, এনে ডাঙৰ দোষ কৰি দিলে নে? হয় চাগে। কন্দা নাছিল তাই, কিন্তু চকুপানী এটোপ সৰিছিলো হ'বলা। কিয় এনে হয় বাৰু? যেতিয়া মৰমে আৰম্ভ কৰে দুচকুত খেলা, তেতিয়াই কিয় ভালপোৱাই দি যায় অৱহেলা। তথাপি নিজকে বুজালে তাই, কোন নো হয় তাই। মাত্ৰ তিনি মাহৰ চিনাকিহে, হ'ব পাৰে সি তাইৰ বাবে আপোন। কিন্তু সিও যে তেনেকৈ ভাবিব লাগিব তাৰ তো একো নিয়ম নাই। তাই ভাল দৰে আহি ঘৰ পোৱাটো কাৰোবাৰ বাবে যে এটি আপেক্ষিত খবৰ হ'ব, সেই বুলিনো কিয় ভাবিব লাগে তাই। সঁচাই মূৰ্খ সন্ধ্যা। বৈ অহা টোপালটো মচি কাপোৰ সলালে তাই। মুখখন ধুই বিচনাত পৰোঁ বুলি হোৱাটচ এপটো খোলোতেই চকুত পৰিল, অনুৰণৰ পৰা অহা এটা মেচেজ,

"Oi, pala ge ne ghor?"

(আগলৈ)

#নিৰিবিলি

Part 38

মেচেজটো দেখি মনত পৰিছিল সন্ধ্যাৰ। অনুৰণে কৈছিল তাইক ঘৰ পালে খবৰ এটা দিবলৈ। আৰু তাই কি মূৰ্খ, অভিমন্যুক ফোন কৰাৰ ধান্দাত পাহৰি থাকিল। সেয়ে এতিয়া মেচেজটো পায়েই লগে লগে reply দিলে তাই,

"O, paluhi olop agote"

Kaushik

কিয় এনেকুৱা হয়, অভিৰ পৰা আশা কৰাবোৰ আশা নকৰাকৈ তাই অনুৰণৰ পৰা কিয় পায়? কেনেবাকৈ অনুৰণে তাইক? ধেৎ, নাই নাই। কি ভাবিছে এইবোৰ তাই। অনুৰণে তাইক এজনী ভাল বান্ধৱী হিচাপে গ্ৰহণ কৰিছে। সেইবাবেই তাইৰ খবৰ ৰাখে, তাইৰ বাবে চিন্তা কৰে। সি যদি গম পাই তাই এইবোৰ ভাবিছে বুলি, কম বেয়া পাব নে? তাইক চাগে ঠেক মনৰ ছোৱালী বুলিয়েই ভাবিব। এনেও সি ইমান লাজকুৰীয়া, অকল তাইৰ লগতেই যি অলপ কথা পাতে। কিন্তু সেই যে অনুৰণৰ পৰশত তাইৰ কিবা অজান অনুভৱবোৰ হৈছিল সেয়া কি আছিল তেন্তে? নাই নাই, এইবোৰ এনেই। লগৰবোৰেতো চবেই অভিমন্যুৰ লগতহে জোকাই তাইক। আনকি আহোঁতেও বিদিশা বাই জোকাইছিল "এই কেইদিন অভিমন্যুক নেদেখাকৈ থাকিব পাৰিবি জানো?" তাই লাজ লাজ হাঁহিৰে আঁতৰি আহিছিল। বিদিশা বালৈ মনত পৰোঁতেই আকৌ দীপা বাৰ কথা মনত পৰিল তাইৰ। কেইদিন মান যাওঁক, ফোন এটা কৰি খবৰ এটা ল'ব তাই। বিদিশা বাহঁত আজি আহি পাওঁতে পাওঁতে তাই আহিবৰ হ'লেই। ৰুবীৰ কথাও নোকোৱাকেই থাকিল তাই। এফালৰ পৰা আহি সোমাওঁতেই নো কেনেকৈ সেইবোৰ কয়? হ'ব আৰু, পাছে পৰেও ক'ব। বিদিশা বাৰ তো এটা পৰীক্ষা ক্ষতিয়েই হ'ল। পাছত দিব পাৰিব অৱশ্যে। সেই ঘটনাটোৰ পৰা সন্ধ্যাৰ বিদিশালৈ শ্ৰদ্ধা আৰু দুগুণ বাঢ়ি গ'ল।

"ৰুণজুন, অ' ৰুণজুন। কি কৰিছ নো ভিতৰতে সোমাই?"

সন্ধ্যাৰ বৰদেউতাকৰ ছোৱালী পাপৰি সোমাই আহিল ৰুমটোলৈ। সন্ধ্যা আহি পোৱাৰ খবৰ পাইয়েই দৌৰা দৌৰিকৈ আহিছে তাই। অৱশ্যে তাইৰ আগমণৰ কথা বেলেগ বুলি কওঁতেহে গম পালে,

"আজি নামঘৰত মিটিং নহয়। ভাগৱত পাঠ আৰু ৰাসৰ তাৰিখ ঠিক কৰিব। আৰু গধূলিলৈ নামঘৰত ভাও ভগাব। কাইলৈৰ পৰাতো পূজায়েই আৰম্ভ। গতিকে আজি ভাওখিনি ভগাই থ'ব। দশমীৰ পিছদিনাৰ পৰাই আখৰা আৰম্ভ। ব'লচোন যাওঁ, ককাহঁত গ'লেই।"

একে উশাহতে কোৱা পাপৰিৰ কথা খিনিতহে মনত পৰিল সন্ধ্যাৰ। পূজাৰ পিছে পিছে ৰাসো পালেহিয়েই। সন্ধ্যাহঁতৰ ঘৰৰ ওচৰত বিশ্বনাথ চাৰিআলিৰ বহুকেইখন গাঁও লগ হৈ সাৰ্বজনীন ভাৱে সাতদিনীয়া ভাগৱত পাঠ আৰু তাৰ শেষৰ দিনা ৰাস পাতে। উত্তৰ চাৰিআলি ৰাস। বহু বছৰেই হ'ল। সন্ধ্যাই বুজা হোৱাৰে পৰা সৰু কৃষ্ণ, দৈৱকী, ৰাধা, মোহিনী, বসুমতী আদি বিভিন্ন ভাও লৈ আহিছে। খুব আড়ম্বৰপূৰ্ণ

ভাৱে পতা এই উত্তৰ চাৰিআলি ৰাসখনৰ কথা অকল বিশ্বনাথ চাৰিআলিতেই নহয় গোটেই শোণিতপুৰে জানে। সন্ধ্যাহঁতৰ ঘৰৰ সমুখতে নামঘৰটো। নামঘৰৰ ফিল্ডতেই ৰাসৰ আখৰা হয়। কিন্তু ৰাস অনুষ্ঠিত হয় বিশ্বনাথৰ বিখ্যাত উত্তৰ চাৰিআলি ষ্টেডিয়ামতহে। প্ৰকাণ্ড ষ্টেডিয়ামখন লোকে লোকাৰণ্য হৈ পৰে ৰাসৰ দিনা। এই আখৰাৰ দিন কেইটা সন্ধ্যাহঁতক আৰু কোনে পাই, গাঁৱৰে শ্ৰীকৃষ্ণ বুলি খ্যাত নয়ন দাৰ বাঁহীৰ সুৰেৰে গোটেই আবেলিটো ৰঙীন হৈ পৰে। বাহিৰৰ পৰাও দুই এজন আহে ৰাস শিকাবলৈ। কাষৰ সিখন গাঁৱৰ মিনতি বায়ে যে ইমান সুৰ লগাই লগাই ৰাসৰ গীতবোৰ গাই শুনিলে শুনিয়ে থাকিবৰ মন যায়,

"সখী হে,

কোন দিশে যাওঁ,

কোন দিশত বংশী বাজে,

নয়ন ভৰি চাওঁ......"

দবাৰ শব্দ শুনিলেই দৌৰ মাৰে নামঘৰলৈ সন্ধ্যাহঁত। সেই ৰাসৰেই আজি ভাও ভগাব। কিন্তু সন্ধ্যাই জানে, এইবাৰ তাই একো ভাও ল'ব নোৱাৰে। কাৰণ ইউনিভাৰ্চিটীৰ পৰা আহি ইয়াত আখৰা কৰাটো একেবাৰে অসম্ভৱ। তথাপি থকা দিনকেইটা আখৰা চাবলৈতো যাবই। সেইবাবে পাপৰিয়ে মাতোতেই মোবাইলটো বিচনাতে এৰি ওলাই আহিল। খুৰাকৰ জীয়েক চুমন, আনজন বৰদেউতাকৰ ছোৱালী মুনমুন গোটেই কেইজনী আহি সন্ধ্যাহঁতৰ চোতাল পালেহি। ইমান দিনৰ মূৰত সিহঁত কেইজনীক লগ পাই সঁচাই ক'ব নোৱাৰা হৈছিল সন্ধ্যা। গাঁওখনৰ সমান আত্মীয়তা আৰু ক'ত থাকিব পাৰে। প্ৰতিটো পদূলি চিনাকি, প্ৰতিজোপা গছ আপোন।

"ঐ ছোৱালীহঁত, মিটিং আৰম্ভ হ'লেই আহ আহ।" বাটৰ পৰা কোনোবা এটাই সিহঁতকেইজনীক দেখিয়েই উকিয়াই থৈ গ'ল। কথা পাতি পাতি সিহঁতো গৈ নামঘৰৰ ফিল্ড পালেগৈ। তাতেই গাঁৱৰ আৰু কেইজনী মানকো লগ পালে। সকলো পোৱাহি নাই বাবে ডাঙৰ খিনিয়ে অন্য কিবা কিবি পাতি আছে কথা। তাৰ মূলটো আহি থকা বিধানসভাৰ নিৰ্বাচন। চৰকাৰী হাই স্কুলখনৰ মাষ্টৰ দেৱেন খুৰাই কিবা "পৰিৱৰ্তন"ৰ কথা কৈ কৈ বুজাই আছিল এনেই বহি থকা মানুহ কেইজনক। সন্ধ্যাই এইবোৰ বৰ এটা বুজি নাপাই, কিন্তু এটা কথা তাই গম পাইছে যে মানুহবোৰে এইবাৰ কিবা এটা বেলেগ হোৱাটো বিচাৰিছে। এৰা, সলনি হ'লেতো বতৰো ভাল লাগে। গতিকে

Kaushik

চৰকাৰনো ভাল নালাগিব কিয়। পিছে এইবাৰ আহি থকা নিৰ্বাচনৰ আটাইতকৈ ভাল লগা কথাটো হ'ল সন্ধ্যা, পাপৰি আৰু চুমনহঁতে প্ৰথম বাৰৰ বাবে ভোট দিব। এই কথাটো ভাবিলেই ভাল লাগি যায়চোন কিবা। আগতে সৰুতে দেউতাকহঁতে ভোট দি অহা আঙুলিৰ চিনটো চাই চাই তাই নিজেই আঙুলিত চিয়াহীৰে চিন দি লয়। পিছে এইবাৰ নিজেই ভোট দি কেনে লাগিব বাৰু? কোন জিকিব তাই নাজানে কিন্তু মানুহবোৰৰ কথাৰ পৰা এনে লাগিছে যেন অসমৰ ৰাজনীতিত কিবা এক নতুন বতাহ বলাৰ আগজাননী আহিছে। এনেতে গাওঁবুঢ়া ককা আহি পোৱাত ৰাজনীতিৰ আলোচনা তল পৰিল। বহুতো কথা বতৰা, আলোচনা বিলোচনাৰ অন্তত তাৰিখ ঠিক হ'ল। নৱেম্বৰৰ শেষৰ ফালে ঠিক হ'ল। আগৰ কেইবাৰৰ দৰেই নামঘৰত সাতদিনীয়া ভাগৱত পাঠ আৰু অন্তিম দিনা উত্তৰ চাৰিআলিৰ ষ্টেডিয়ামত শ্ৰীকৃষ্ণৰ মহাৰাস। সেইদিনাৰ গধূলিলৈ ৰাসৰ ভাও ভগাইছিল। মাকৰ সেউজীয়া চাদৰ মেখেলাযোৰ পিন্ধি সন্ধ্যাও নামঘৰ পালেগৈ। এবাৰ সন্ধ্যাক সুধিছিল, পিছে তাই নোৱাৰিম বুলি ক'লে। বৰ দুখ লাগিছিল তাইৰ। পিছে উপায় নাই। কাষৰ গাঁওখনৰ চুমি বাক কৃষ্ণ দিছে আৰু সন্ধ্যাৰ বৰদেউতাকৰ ছোৱালী চুমনক ৰাধা। পিছলৈ সকলোৰে জোৰ কৰাত সন্ধ্যাইও সৰু ভাও এটা ল'বলৈ বাধ্য হ'ল। মোহিনী, অৰ্থাৎ পুতনাৰ মোহিনী ৰূপ। এইটো ভাও তাই আগতেও কৰিছে। গতিকে বিশেষ টান নহ'ব বাৰু। এবাৰ দুবাৰ শনিবাৰে আহি আখৰা কৰিলেই পাৰিব তাই। হওঁক তেও, একেবাৰে ননচাকৈ থাকিব লগা নহ'লে। ভাও ভগোৱা হ'লত মাহ প্ৰসাদ খাই ঘৰ পালেহি সিহঁত।

পিছদিনাৰ পৰা দূৰ্গা পূজা আৰম্ভ। চাৰিওফালে উৎসৱমুখৰ পৰিৱেশ। সন্ধ্যাহঁতৰ ঘৰৰ সমুখৰ শেৱালিজোপাও ফুলিছিল। ৰাতিপুৱা উঠিয়েই তলসৰা শেৱালিবোৰ বুটলে তাই। মাকে সেয়াৰে বৰাও বনাই। পূজা বুলি সপ্তমীৰ দিনা ওলাই গৈছিল সিহঁত দেউতাকৰ গাড়ীখনতে। বিশ্বনাথ চাৰিআলিৰ বাছ ষ্টেণ্ড, মধুপুৰ আদি বিভিন্ন ঠাইত ডাঙৰকৈ মণ্ডপ সাজি পূজাবোৰ হয়। ৰঙা নীলা বেলুন, দেৱী বন্দনাৰ মন্ত্ৰ, ঢাকৰ শব্দৰে গোটেই মণ্ডপখন উখল মাখল হৈ আছিল। অষ্টমীৰ দিনা তাই ৰাতিপুৱাই পাপৰিহঁতৰ লগত ওচৰৰে পূজাভাগলৈ গৈ চাকি দিছিল গৈ। সেইবাৰ সন্ধ্যাৰ হিচাপত এগছ চাকি বেছিকৈ জ্বলিছিল। পাপৰিয়ে জোকাইছিল। দূৰ্গা দেৱীৰ আশীষ প্ৰাৰ্থনাত নিজৰ লগতে অভিমন্যুৰো নাম সাঙুৰিছিল সন্ধ্যাই। সি মাজে মাজে ফোন কৰি খবৰ লৈ আছিল। পিছে ঘৰত বেছি সময় তাই কথা পাতি থাকিব নোৱাৰে। সিফালৰ পৰা কোনোবা নহয় কোনোবাই চিঞৰিবই,

Kaushik

"ৰুণজুন, কি নো সেইটোতে লাগি থাক অ'?"

অনুৰণে পিছে সদায় ৰাতি "good night" বুলি হ'লেও মেচেজ এটা দিবয়েই। সিদিনা অভিৰ ওপৰত খং উঠাৰ কথাও কৈছিল তাই তাক। সি বুজাইছিল, অভিমন্যু ঘৰ যোৱাৰ ব্যস্ততাত থকাৰ বাবেহে যে তেনে ব্যৱহাৰ কৰিছিল। অনুৰণৰ বুজনিতে অভিমন্যুৰ প্ৰতি থকা তাইৰ খংবোৰো নোহোৱা হৈছিল। সন্ধ্যাই অনুভৱ কৰিছিল ইউনিভাৰ্চিটীৰ জীৱনে অনুৰণৰ ৰূপত এজন সঁচা বন্ধু যাঁচিছিল তাইক।

পূজাৰ মাজতেই কাতি বিহুও পৰিছিল এইবাৰ। তুলসীৰ তলটো ধুনীয়াকৈ মচি সন্ধিয়ালৈ চাকি জ্বলাই মাহ প্ৰসাদ দিছিল আইতাকে। ওচৰৰ চুবুৰীৰে সৰু ল'ৰা ছোৱালীকেইটা মানে নাম গাইছিল ঘৰে ঘৰে,

"তুলসীৰ তলে, মৃগপহু চৰে........"

সন্ধ্যাহঁত ডাঙৰ হ'লেও এতিয়াও সৰুখিনিৰ লগতে যায়। এইবাৰো পাপৰিহঁতৰ লগত ওলাইছিল। গাঁৱৰ এই সৰু সৰু কামবোৰতে যে এক অনাবিল তৃপ্তি পোৱা যায়।

এনেকৈয়ে ঘৰৰ মানুহৰ মৰম, আদৰৰ মাজতে এক সপ্তাহ কেনেকৈ গুছি গ'ল গমেই নাপালে সন্ধ্যাই। সদায় আবেলি পাপৰিহঁতৰ লগত গল্প কৰি কৰি, আইতাকৰ লগত কথাৰ মহলা মাৰি মাৰিয়েই সময়বোৰ কেনেকৈ যে শেষ হ'ল। আকৌ সকলো এৰি যাবৰে হ'ল তাইৰ। যোৱাৰ আগদিনা আবেলি চুমনহঁতৰ লগত এৰা এৰি হওঁতে মনটো গধূৰ হৈ পৰিছিল তাইৰ। কিন্তু সিহঁতৰো বেয়া লাগিব বুলি দেখুওৱা নাছিল তাই।

"ভালকৈ নাচিবি ৰাসত। আখৰা মন দি কৰিবি।" চুমনক সাৱটি ধৰি কৈছিল তাই।

"তই কিন্তু আহি থাকিবি ৰুণ বা।" চুমনৰ মাতোটোও থোকা থুকি হৈছিল।

ঘৰত আহি মাকে কেক বনাই থকা দেখিছিল তাই। আগৰ বাৰ মাকে বনাই দিয়া কেক ৰীণা বাহঁতে খুব ভাল পাইছে বুলি মাকক কৈছিল তাই। সেইবাবেই এইবাৰ দুটাকৈ বনাইছে। আইতাকেও দুটামান পিঠা বনাই থৈছে তাইলৈ। সকলোবোৰ লৈ পিছদিনা ইউনিভাৰ্চিটী আহিবলৈ ওলাল সন্ধ্যা। মাকৰ চকুযুৰি অলপ সেমেকিছিল। সন্ধ্যাই পাৰিম বুলি কোৱা সত্বেও দেউতাকে লৈ আহিল তাইক গাড়ীৰে। আহোঁতে বিশ্বনাথ চাৰিআলিৰ বিখ্যাত "ৰাবৰি" লৈ আহিছিল তাই হোষ্টেললৈ। তাইক থৈয়ে উভতি গৈছিল দেউতাক।

Kaushik

সকলোবোৰ হঠাতে যেন সলনি। এক শূণ্যতা। কালিলৈকে শেৱালি বুটলি বায়েক ভনীয়েক হঁতৰ লগত দৌৰি ফুৰা তাই আজি আকৌ বন্দী এই চাৰিবেৰৰ মাজত। প্ৰতিযোগিতাৰ দৌৰত জীৱনৰ যেন আচল তৃপ্তিয়েই হেৰুৱাই পেলাইছে। সন্ধ্যা আহি পোৱাৰ অলপ পাছতে বিদিশা বাও পালেহি। হাত মুখ ধুই প্ৰায় এক ঘন্টা মান লেকচাৰেই মাৰিলে দুইজনীয়ে। লগত অনা ৰাবৰিও দিলে বিদিশাক। পিছে ৰীণা বা আহি নোপোৱাৰ বাবে আধা ফ্ৰীজত ভৰাই থ'লে। নহ'লে ৰীণা বাই সুখেৰে এৰিবনে। ঘৰ এৰি অহাৰ দুখ আছিল যদিও সেয়া বহুখিনি পাতলিছিল সন্ধ্যাৰ বিদিশাক লগ পায়। তাইৰ মন গৈছিল এবাৰ অভিক লগ পাবলৈ। পিছে সেই গৰুটো কাইলৈহে আহিব হেনো। তাক ইমান ক'লে তাই আজিয়েই আহিবলে, নাই সি নাহে। অনুৰণ আহিলে পিছে। সি ৰাতিপুৱাই পালেহি ডিব্ৰুগড়ৰ নাইট চুপাৰত। দূৰ হোৱাৰ বাবে বেচেৰা সোনকালেই আহিব লাগে। আন্ধাৰ হওঁ হওঁ হৈছিল। প্ৰিয়া আহিল সন্ধ্যাৰ ৰুমলৈ। এসপ্তাহৰ পিছত লগ পাই যেন চিঞৰি দিছিল তাই,

"বাহ, ঘৰত খাই খাই শকত হৈ আহিছ একদম।"

অলপ সময় ৰুমতে কথা পাতি ওলাই আহিল সিহঁত। সিফালৰ পৰা নিমিষা, জুৰি আৰু সীমাও আহিছিল। এক সপ্তাহৰ মূৰত আহিছে, গতিকে ৰুমত সোমাই থকাৰ কথাই নাহে। Essentialতে লগ হৈ বহিল সিহঁত। এক সপ্তাহ ধৰি শূণ্য হৈ থকা Essentialখনো আকৌ জীপাল হৈছিল চিঞৰবোৰেৰে, হাঁহিবোৰেৰে। কিছুমান ল'ৰা ছোৱালী আহিয়ে আছিল হাতত ট্ৰলীবোৰ লৈ লৈ। কথা পাতি থকাৰ মাজতে জুৰিয়ে এবাৰ ৰাস্তালৈ চাই চিঞৰিলে,

"ঐ, ময়ূঁৰ"

Essentialখন এইটো কাৰণেই মজা ঠাই। চাৰিটাকৈ ৰাস্তা আহি লগ হৈছেহি ইয়াত। এফালে সন্ধ্যাহঁতৰ সোৱণশিৰী, কপিলী আৰু পবিতৰা হোষ্টেল। এফালে বৰদৈচিলা, প্ৰাগজ্যোতিকা আৰু ধনশিৰী গাৰ্লচ হোষ্টেল। এফালে কাঞ্চনজংঘাৰ পৰা আৰম্ভ কৰি বাকীবোৰ বয়জ হোষ্টেল আৰু আনফালে নিৰিবিলি আৰু ভিচিৰ বঙলা পাৰ হৈ SOE। মুঠতে চাৰিওফালৰ কেন্দ্ৰত থিয় হৈ আছে Essential। ধুনীয়াকে ঘূৰণীয়া টেবুল এখনত বহি লোৱা আৰু ৰাস্তাৰে যোৱা চিনাকিবোৰক চিঞৰি থাকা। এইটো Essentialত বহা বেছি ভাগৰেই হবী। সন্ধ্যাহঁতো তাৰ ব্যতিক্ৰম নহয়। পিছে জুৰিৰ চিঞৰ ময়ূঁৰৰ কাণত নোসোমাল। কাৰণটো সেই একেই, তাৰ কাণত চিৰসংগী হেডফোন ডাল। বয়জ হোষ্টেলৰ ৰাস্তাটোৰেদি আহি নিৰিবিলিৰ ফালে আগবাঢ়িছিল সি। দুই তিনিবাৰ

Kaushik

মাতোতেও নুশুনাত সন্ধ্যাইঁত নিজেই উঠি গ'ল। জুৰিয়ে গৈ আগভেটি ধৰি খঙেৰে ক'লে তাক,

"তোৰ এই হেডফোন ডালৰ কাৰণে কোনোবা দিনা গাড়ীৰ আগত পৰিবি তই।"

"অহ, তইঁতে মাতি আছিলি নেকি?" দোষী দোষী ভাৱেৰে ময়ূঁৰে ক'লে। দুই এষাৰ কথা পতাৰ মাজতে সন্ধ্যাই এবাৰ ঘৰৰ পৰা কেতিয়া আহিল সুধিলে। কিন্তু তাৰ উত্তৰত আচৰিত হ'ল সিহঁত। ময়ূঁৰ হেনো বন্ধত ঘৰলৈ নগৈ ইয়াতে আছিল।

"কিয়? কি কৰি আছিলা ইয়াত? আৰু ঘৰৰ মানুহে মতা নাছিল নে ঘৰলৈ? তাতে পূজাৰ সময়ত?" আচৰিত হৈ একে উশাহে সীমাই সুধিলে।

"ঘৰৰ মানুহ..." অলপ হঁহাৰ দৰে কৰি ময়ূঁৰে নিজকে কোৱাৰ দৰে কথাষাৰ এনেকৈ ক'লে যেন সীমাহঁতে তাক কিবা আচৰিত হাঁহি উঠা কথা এটাহে সুধিলে। তাৰ এই ব্যৱহাৰত আচৰিত হৈছিল সিহঁত।

"ঠিকে আছে, তোমালোক ৰোৱা। মই গৈ থাকোঁ" বুলি আগবাঢ়িল সি। দুনাই একো নক'লে কোনেও। প্ৰশ্ন জাগিছিল হয়তো সিহঁতৰ মনত। কিন্তু উত্তৰ জনাৰ উপায় নাছিল বাবেই বাদ দিলে।

"ঐ, বাহিৰ যাওঁ ব'ল না। খাই আহোঁ কিবা এটা।" নিমিষাৰ কথাত গোটেইকেইজনী বাহিৰ পালেগৈ। গোবিনতে সোমাই কিবা কিবি খাই আহি পাটকাইৰ সমুখৰ বাছ ষ্টেণ্ডটোত বহিলহি গোটেইকেইজনী। পাটকাই আৰু নিউ ব্ৰমেনচ হোষ্টেলৰ গলীটোৰ কাষতে এই বাছষ্টেণ্ডটো। ইয়াৰ পৰা নাহৰকেইজোপাৰ মাজেৰে সমুখৰ ফিল্ডখনো দেখি থাকি। এইখিনিত লাইট নাই বাবে কিছু এন্ধাৰ। লাইটৰ পোহৰেৰে ফিল্ডখন জিলিকি আছে। উফৰি আহিছে চিঞ্ৰবোৰ। মেইন গেটৰ পৰা আহিলে এইফালে দিয়েই বাকী হোষ্টেলবোৰ ওলাইগৈ বাবে মানুহ অহা যোৱা কৰিয়েই থাকে বাছ ষ্টেণ্ডৰ আগেৰে। তাতেই বহি কিবা কিবি আড্ডা মাৰি আছিল আটাইকেইজনীয়ে। হঠাৎ প্ৰিয়াই প্ৰস্তাৱ দিলে,

"Truth and dare খেলো ব'ল।"

বাহিৰত জুৰিয়ে কিনি অনা spiceৰ বটলটো আছিলেই। সন্ধ্যাৰ মন নাছিল যদিও ইহঁতকেইজনীৰ জোৰত বাধ্য হ'ল তাইও। প্ৰথম বাৰত জুৰিৰ পাল পৰিল। অৰ্থাৎ তাই হয় কিবা সঁচা কথা এটা স্বীকাৰ কৰিব লাগিব নহ'লে কিবা এটা কাম কৰিব লাগিব।

kaushik

তাই পিছে কামেই কৰিম বুলি ক'লে। তাইক প্ৰিয়াই Dare দিলে প্ৰায় দহ চেকেণ্ড মান মুখেৰে বিহু গাই গাই বাছ ষ্টেণ্ডটোৰ পৰা আগলৈ গৈ নাচিব লাগিব। জুৰিয়েও তাকে কৰিলে,

"ফুল ফুলিছে বসন্তত...."

সন্ধ্যাহঁতৰ হাঁহিত অৱস্থা নাই। সিহঁতৰ হাত চাপৰিত এক উৎপাতৰ সৃষ্টি হৈছিল।

"চাই ল'ম তোক প্ৰিয়া" বুলি জুৰি উভতি আহিল। এইবাৰ আকৌ নিমিষাৰ পাল। তাই পিছে Truth লৈছে। ইহঁত কেইজনীৰ বিশ্বাস নাই কি কৰায়। তাইক প্ৰশ্নটো সীমাই সুধিলে,

"তোৰ ৰিলেশ্যনছিপ ষ্টেটাছ কি"

ভাল সুযোগ ল'লে সীমাই। এই কথাটো সুধিলেই নিমিষাই যেন কথা সলায়। বহু বাৰ সুধি সুধি এজনীয়েও উলিয়াব নোৱাৰিলে। বাকী সকলোৰেই সকলোৱে জানে। সীমাৰ প্ৰশ্নত যেন মুখৰ ৰং কিছু সলনি হৈছিল নিমিষাৰ।

"One sided" যেন তেনকৈ কৈছিল তাই। ষ্ট্ৰীট লাইটৰ পৰা অহা পাতল পোহৰতো সন্ধ্যাই মন কৰিছিল তিতি উঠা নিমিষাৰ চকুৰ কোণ দুটা।

নিমিষাৰ পাছত এইবাৰ সীমাৰ পাল পৰিল। তাইক Dare দিলে সন্ধ্যাই,

"ৰাস্তাৰে আহি থকা যিকোনো এটা অচিনাকি ল'ৰাক গৈ ফোন নম্বৰটো খোজা।"

"এই বঢ়িয়া" বুলি চিঞৰি উঠিছিল গোটেই কেইজনীয়ে। সেমেনা সেমেনিকৈ উঠি গৈছিল সীমা। নিউ ব্ৰমেনছৰ চাইন বৰ্ডখনৰ ওচৰত ৰৈ থকা ল'ৰাজনৰ ওচৰত গৈ কওঁ নকওঁকৈ ক'লে,

"Excuse me, তোমাৰ মোবাইল নম্বৰটো পাম নেকি?"

"Yaa sure, why not" ল'ৰাটো যেন ক'ব নোৱাৰা হৈছিল।

কাণ পাতি শুনি থকা সন্ধ্যাহঁত হাঁহিত ফাটি পৰিছিল। জুৰিয়ে বাছ ষ্টেণ্ডতে বাগৰি পৰিছিল হাঁহি হাঁহি। সন্ধ্যাই গৈ যেনিবা লৈ আনিলে সীমাক। ল'ৰাটোকো বেয়া নাপাবলৈ কৈ আহিল। খেল আকৌ আৰম্ভ হ'ল। এইবাৰ পাল পৰিল সন্ধ্যাৰ। লগে লগেই সীমা থিয় হ'ল,

Kaushik

"মজ্জা, এইবাৰ মই দিম তোক dare"

অলপ সময় চিন্তা কৰি তাই ক'লে,

"পাটকাইৰ ফালৰ পৰা চাইকেল লৈ যিটো ল'ৰাই আহিব তাকেই তই প্ৰপোজ কৰিবি। চিধা গৈ আই লাভ ইউ ক'ব লাগিব।"

আকৌ প্ৰিয়া জুৰিহঁতৰ হাঁহিৰ জোৱাৰত বাছ ষ্টেণ্ডটো কঁপি উঠিছিল। সন্ধ্যাৰ যেন মুখ শুকাই গৈছিল,

"পাগল নেকি তই? কি ফাল্টু, মই নকৰোঁ দেই এইচব।"

"কিয়, মইতো ফোন নম্বৰ খুজি দিলোঁ। তইও কৰিব লাগিব।" সীমাৰ কথাত বাকী কেইজনীয়েও জোৰ দিলে,

"অঁ অঁ, কৰিবই লাগিব"

অগত্যা লাজ মান কাটি কৰি সন্ধ্যা সাজু হ'ল। কিছু সময় পাৰ হ'ল কোনো অহা নাই। ৰাস্তাৰে বেলেগ ল'ৰা গৈছে যদিও নিয়মমতে পাটকাইৰ গলীটোৰে ওলাই অহাহে হ'ব লাগিব। এনেতে হঠাৎ নীলা চাইকেলখন লৈ লাহে লাহে পাটকাইৰ পৰা ওলাই আহিল অনুৰণ।

Kaushik

"অহ, অনুৰণ। সন্ধ্যাৰ লাক ভাল চিনাকি ল'ৰাকহে পালি।" নিমিষাই ক'লে।

"চিনাকি অচিনাকি যিয়ে হওঁক, এইবোৰ মেনশ্যন নাছিলতো।" সন্ধ্যাই ক'লে। আচলতে তাই ভালেই পালে। অচিনাকি কাৰোবাক কোৱাতকৈ অনুৰণক সহজেই ক'ব পাৰিব। "অনুৰণ" বুলি মাতি আগুৱাই গ'ল তাই। বাছ ষ্টেণ্ডটোৰ সমুখতে সি চাইকেলখন ৰখালে যদিও আন্ধাৰ হৈ থকাৰ বাবে সীমাহঁতক নেদেখিলে।

"কেতিয়া পালাহি?" সন্ধ্যাক দেখি সুধিলে সি নিজেই।

"আবেলি।" কথাটো কেনেকৈ আগবঢ়াই ভাবি পোৱা নাই সন্ধ্যাই। কি হৈছে, তাই নিজেই চোন আগবাঢ়ি আহিছিল। তেন্তে এতিয়া বুকুখন কঁপিছে যে। সিফালে সীমাহঁতে ইংগিত দিয়ে আছে। খেৰোঁ গেৰোঁকৈ ক'লে তাই,

"মানে, কথা এটা আছিল"

"কোৱা" সাধাৰণ ভাৱেই অনুৰণে ক'লে।

"মানে ৰণ, মানে.. আচলতে মানে..." কি হৈছে সন্ধ্যাৰ। এনেকৈ লাগি ধৰিছে যে। অনুৰণৰ লগততো তাই চব কথাই শ্বেয়াৰ কৰে। তেন্তে এই সৰু কথাটো ক'বলৈ কিয় ইমান সময় লাগিছে। তাকো অকল dare complete কৰিবলৈ।

"কোৱা আকৌ" অনুৰণো চাগে আচৰিত হৈছিল। শেষত উপায় নাপাই চকু কেইটা মুদি একে উশাহে কৈ পেলালে সন্ধ্যাই,

"I love you"

চকু মুদিয়েই আছিল সন্ধ্যাই। স্তব্ধ দৃষ্টিৰে তাইলৈ চাই ৰৈছিল অনুৰণে। সময় যেন ৰৈ গৈছিল ক'ৰবাত।

(আগলৈ)

#নিৰিবিলি

Part 39

অনুৰণৰ যেন মুখৰ বৰণ সলনি হৈ গৈছিল। বাহিৰৰ চেঁচা কুঁৱলীয়ে ভিতৰলৈকে শীতল কৰি দিছিল। শিল হৈ ৰৈ গৈছিল সি। লাহে লাহে চকু মেলিছিল সন্ধ্যাই। একেথৰে তাইলৈ চাই থকা অনুৰণৰ চকুত যেন কেতিয়াও নেদেখা এক অবুজ ভাষাৰ পয়োভৰ।

"ৱাহ ৱাহ, ক্যা বাত হে চন্ধ্যা ৰাগিণী" বুলি হাত চাপৰি বজাই হাঁহি হাঁহি সীমা আৰু জুৰিহঁত বাছ ষ্টেণ্ডৰ পৰা সমুখলৈ ওলাই আহিছিল। সীমাই বুজাই দিছিল অনুৰণক যে সিহঁতে মাত্ৰ খেল হে খেলি আছিল। অনুৰণৰ মুখত উলমি ৰৈছিল শেঁতা হাঁহি এটা। যেন হঠাৎ ফুলি মৰহি যোৱা এপাহ নামহীন ফুল। অনুভৱবোৰ যেন সেমেকি পৰিছিল।

"সন্ধ্যাৰ লাক বেয়া, অনুৰণৰ ঠাইত অভিমন্যু হোৱা হ'লে আজি মজা scene এটাই হ'লহেঁতেন। তেতিয়া অফিচিয়েল হৈয়ে গ'লহেঁতেন।" জুৰিৰ কথাত আকৌ হাঁহিৰ জোৰ। অনুৰণেও হাঁহিলে। স্বাভিৱিকতাৰ মাজতো যেন কিবা অস্বাভাৱিক অনুভৱ হৈছিল সন্ধ্যাৰ। অলপ সময় দুই এটা কথা পাতি অনুৰণ আকৌ আগবাঢ়িল বাহিৰৰ ফালে। সন্ধ্যাই চাই ৰৈছিল এক দোষী দোষী ভাৱেৰে। নিজলৈকে যেন কিবা খং উঠিছিল তাইৰ। কিছু সময়ৰ পাছত হোষ্টেল আহিল সিহঁতবোৰ।

Kaushik

হোষ্টেলত সোমাওঁতেই ৰীণা বাৰ চিঞৰ,

"ক'ত থলি মোৰ ৰাবৰি? কেক ক'তা মোৰ? চব বিদিশাকে খোৱালি যে?"

হাঁহি মাৰি সন্ধ্যাই ফ্ৰীজৰ পৰা ৰাবৰি খিনি উলিয়াবলৈ গৈ আচৰিত হ'ল। টিফিনটো যে খালী।

"ৰীণা বা, টিফিন খালী চোন। বিদিশা বা, ক'ত গ'ল ৰাবৰিখিনি?" চিঞৰি চিঞৰি সন্ধ্যা ৰুম পালেহি। ৰুমত ৰীণা আৰু বিদিশা বহি আছিল।

"খালী? কি কঁৰ? কোনে খালে?" বিদিশাও আচৰিত হ'ল। হ'বইতো। অলপ আগতে থৈ যোৱা ৰাবৰিখিনি হঠাৎ কোনে খালে। এতিয়া কি ইয়াত খোৱা বস্তুও চোৰ হ'ব নেকি?

"কোনে খালে মোলে খোৱা বস্তু? কাৰ সাহ হ'ল হা ইমান" বুলি যেন গৰজি উঠিল ৰীণা।

"উফ হ'ব দে অ'। ৰাবৰি হে পাছত আনিব দে আকৌ" বিদিশাৰ বুজনিয়েও কাম দিয়া নাই। এনেতে সন্ধ্যাহঁতৰ ৰুমটোৰ দুৱাৰখন অকণমানকে খুলি মূৰটো উলিয়াই বাহিৰৰ পৰা কংকনাই চিঞৰিলে,

"দেৰিকৈ অহা শিয়ালে,

ৰাবৰি খাব নোৱাৰে"

সকলোৰে বুজিবলৈ বাকী নাছিল এই উৎপতীয়া কংকনাই যে সেইখিনি খাই থ'লে। লগে লগে ৰীণা বাই "তোক আজি মই" বুলি খেদি গ'ল। সিফালে কংকনাও দৌৰি পলাল। হাঁহি হাঁহি সন্ধ্যা আৰু বিদিশাও ওলাই আহিল। এতিয়া কিছু সময়লৈ ইহঁত দুজনীৰ এই খেদা খেদিখন চলি থাকিব। শেষত কংকনা সোমাবগৈ কোনোবা এজনীৰ ৰুমত। ভাত খোৱা সময়লৈ তাতে থাকি ৰাতিহে ৰুমলৈ আহিব। সিহঁতৰ হাঁহি আৰু চিঞৰবোৰে এসপ্তাহৰ মূৰত প্ৰাণ ঘূৰাই আনিছিল হোষ্টেলখনলৈ।

ৰাতি ভাত খাই সোনকালেই বিচনাত উঠিল সন্ধ্যা। কাইলৈৰ পৰা যে আকৌ ক্লাছ আৰম্ভ। ইমান দিন ঘৰত থাকি থাকি একেবাৰে ক্লাছত সোমাবগৈ মন যোৱা নাই।

Kaushik

সঁচাকৈ, এই ক্লাছ আৰু পৰীক্ষাৰ প্ৰেচাৰবোৰ যদি বাদ দিয়া যায় তেজপুৰ ইউনিভাৰ্চিটীৰ নিচিনা দ্বিতীয় স্বৰ্গ আৰু ক'তো নাই। কিন্তু এই পৰীক্ষা আৰু নব্বৈ শতাংশ উপস্থিতিয়ে যে স্বৰ্গৰ সলনি... এহ থাকক। নকওঁ।

বিচনা পৰোঁতেই আকৌ অনুৰণৰ কথা মনত পৰিল সন্ধ্যা। সি চাগে সঁচাকৈ বেয়া পালে তাইক আজি। তাইক ইমান ভাল বান্ধৱী হিচাপে ভাবে সি। আৰু তাই কি কৰিলে বাৰু এইবোৰ? সীমাহঁতে ক'লে বুলিয়ে তাই কৰিব লাগে নে? নাই নাই। তাক ভালকৈ বেয়া নাপাবলৈ ক'ব লাগিব। সেইবাবেই এবাৰ হোৱাটচ এপটো খুলি অনুৰণলৈ বুলি মেচেজ লিখিলে সন্ধ্যাই,

"Oi, ran"

"O kua" প্ৰায় লগে লগেই তাৰ reply। যি কামতে নাথাকক তাইৰ মেছেজৰ উত্তৰ লগে লগে দিবই সি।

"Othoni r karone sorry, ehote jur kori asil dare complete kor buli, so moi teneke koribo loga hol" দোষী দোষী ভাৱত লিখিছিল সন্ধ্যাই। কিন্তু অনুৰণৰ চমু উত্তৰ,

"Eku nai dia"

তেও যেন সন্ধ্যাৰ মনটো মুকলি হোৱা নাই। অনুৰণে বেয়া পাইছে বুলি অনুভৱ হৈছিল তাইৰ। আকৌ দিলে,

"Tumi beya paisa no?"

কিছু সময় ৰৈ অনুৰণে দিলে,

"Nai pua o, teneke beleg k kua hole he beya palu heten" মেচেজটোৰ লগত দুটা হাঁহি থকা ইম'জি 😂😂।

সন্ধ্যা ৰৈ গৈছিল আকৌ। এক অনামী অনুভৱত, এক অবুজ আৱেগত। "বেলেগক ক'লেহে বেয়া পালোঁহেঁতেন" মানে কি বুজালে? তাই অন্য কাৰোবাক প্ৰেমৰ প্ৰস্তাৱটো দিয়াটো অনুৰণে নিবিচাৰে নেকি? ধেৎ, কি অবান্তৰ কথা ভাবিছে তাই। সি চোন নিজেই তাইক অভিমন্যুৰ কথা কৈছিল। সিহঁতৰ সম্পৰ্কটোৰ কথা ছিৰিয়াছ হৈ ভাবিবলৈ কৈছিল। তেন্তে এইবোৰ কিয় ক'ব আকৌ? ই আচলতে ধেমালিহে কৰিছে। কথাটো ভবাৰ লগে লগে হাঁহি উঠিল তাইৰ। এৰা, তাইৰ বাহিৰেনো বেলেগ কাৰ লগত এনেকৈ পাতিব সি। তাই reply দিলে,

Kaushik

"Sinta nokoriba, eman xohoje kaku I love you nokoi ei Sandhyai"

আকৌ দুটা হাঁহিৰ ইম'জিৰে তাৰ উত্তৰ,

"Thank God 😊😊"

এইবাৰ সঁচাকৈ আৰু হাঁহি উঠিল সন্ধ্যাৰ। প্ৰথমতে লগ পাওঁতে তাৰ মুখৰ মাতেই নাছিল। এতিয়া তাইৰ লগত flirt ও কৰিব পৰা হ'ল সি। আকৌ দিলে তাই,

"Bor dusto hoisa akou"

তাৰ উত্তৰ,

"Tumar logot thaki ei hoisu"

হাঁহি এটা আপোনা আপুনি আহি বিয়পি পৰিছিল সন্ধ্যাৰ মুখ মণ্ডলত। সৰু সৰু আখৰবোৰৰ মাজতেই এই হাঁহিৰ কণিকাবোৰ লুকাই থাকে নেকি বাৰু? অলপ কথা পাতি মোবাইলটো থৈ টোপনিত পৰিল তাই। মনটো কিবা এটা অজানা অনুভৱত ভৰি উঠিছিল। সন্ধ্যাই ভবাৰ দৰে কেৱল বন্ধুত্বয়েই আছিল নে সেয়া !!

kaushik

বন্ধৰ পাছতেই সন্ধ্যাহঁতৰ বাবে ৰৈ আছিল এটা পৰীক্ষা। ঠিক পৰীক্ষাও নহয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ কৰ্চৰ মতে এটা পৰীক্ষা লিখিত হোৱাৰ সলনি assignment নহ'লে presentation হয়। বহুতৰ বাবে এইটো চিনাকি যদিও অসমীয়া মাধ্যমৰ ছাত্ৰী সন্ধ্যাৰ বাবে আছিল একেবাৰে নতুন। তাতে এই presentation সম্পূৰ্ণ ইংৰাজী ভাষাত দিব লাগিব। সন্ধ্যাই ইংৰাজীত কথা পাতিব বাৰু পাৰে, কিন্তু প্ৰফেছৰৰ আগত presentation দিব পৰাকৈ তাই সক্ষম হোৱাগৈ নাছিল। অৱশ্যে এই পৰীক্ষাটোৰ এটা কথা ভাল আছিল যে ই group ত হৈছিল। গতিকে কিবাকৈ মিলি যাব বুলি সন্ধ্যা অলপ আশ্বস্ত হ'ল। কিন্তু ইমান মসৃন ও নহয় তেজপুৰৰ জীৱন। communicative emglish ৰ paper খন পঢ়োৱা মিনাক্ষী মেমে ক্লাছত ঘোষণা কৰিলে তেওঁ presentation individually ল'ব, গ্ৰুপত নহয়। topic select সকলোৱে নিজৰ ইচ্ছা মতে কৰিব পাৰিব। কিন্তু হাতত এখনো কাগজ থাকিব নোৱাৰিব presentation দিওঁতে। অৰ্থাৎ দহ মিনিট সময় ক'তো নোচোৱাকৈ সম্পূৰ্ণ ইংৰাজীত দিব লাগিব presentaion। সন্ধ্যাৰ যেন ক্লাছতে মূৰ ঘূৰাই পৰাৰ দৰে অৱস্থা। তাতে মেমে দুদিন পাছতে আৰম্ভ কৰিবই। সেইদিনাই প্ৰায় সকলোৱেই select কৰিলেই নিজৰ নিজৰ topic। আশা কৰা ধৰণেই অভিমন্যুয়ে ল'লে, "sports as an physical exercise", সীমাই ললে, "korean movies", জুৰিয়ে ললে, "festivals of assam",

অনবৰত ইংৰাজীতে কথা কোৱা অস্মিতাই ললে, "yellow journalism", ময়ূঁৰেও ল'লে কিবা অসমীয়া উপন্যাস এখনৰ ওপৰত ৰিভিউ। প্ৰিয়া আৰু নিমিষা হঁতেও কিবা চিনেমাৰ ৰিভিউ দিব বোলে। সন্ধ্যাই বহু সময় চিন্তা কৰিও যেন বিচাৰি নাপালে একো। কোনটো বিষয়ত তাই নোৰোৱাকৈ কৈ যাব পাৰিব তাই নিজেও নাজানে। আগতে স্কুলত কেতিয়াবা আকস্মিক বক্তৃতা দিছিল। কিন্তু তাৰ বিষয়বোৰ আছিল তেনেই সৰল, যেনে আমাৰ গাঁওখন, গুৰুজনাৰ কীৰ্তন, তোমাৰ প্ৰিয় ব্যক্তি আদি। কিন্তু ইয়াত কি ক'ব তাই একো ভাবি পোৱা নাই। ক্লাছৰ শেষত অভিমন্যুক সুধিলে তাই, "ক না, মই কি লওঁ topic?" সি তাৰ চিৰিয়াছ look টো আনি ক'লে, "child labour ল। কোনেও লোৱা নাই, ভাল topic" শুনিয়েই চেলাউৰী কোঁচ খাইছিল সন্ধ্যাৰ। ক'ত তাই বিচাৰি আছে সহজ topic এটা, এওঁ আকৌ ওলাল social worker জন। "কাম নাই আৰু মোৰ" বিৰক্তিৰে ক'লে তাই।

"কি কাম নাই, ইমান এটা ভাল topic দিছোঁ। এতিয়া india ত এইটো বহুত ডাঙৰ issue। তই ক'ব পাৰ যে...." তাৰ কথা শেষ নহওতেই সন্ধ্যাই কৈ উঠিল,

"হ'ব হ'ব। তোক সোধাটোৱেই ভুল হ'ল মোৰ"

"তেন্তে নুসুধিবিও মোক" বুলি আঁতৰি গ'ল সি।

"গোণা ম'হটো চালা" বুলি ভোৰভোৰাই উঠিল সন্ধ্যা। এইটোক একোৱেই সুধিব নাপায়। হয়, তাইও জানে Child labour in India টপিকটো ভাল। কিন্তু তাই নোচোৱাকৈ ক'ব নোৱাৰিব সেইটো। আৰু ঘপকৈ মেমে কিবা প্ৰশ্ন সুধি দিলে কি হ'ব বাৰু? খঙেৰে গৈ আছিল সন্ধ্যা হোষ্টেলৰ ফালে। এনেতে পিছফালৰ পৰা কোনোবাই মাতিলে,

"কাৰ ওপৰত খং নো ইমান" ঘূৰি চাই অনুৰণক দেখিলে তাই।

"কোন হ'ব আৰু, তোমাৰ হোষ্টেল মেট। মিষ্টাৰ অভিমন্যু শৰ্মা।"

"আকৌ কি লাগিলা নো? বন্ধ খুলিছে হে" হাঁহি হাঁহি সুধিলে সি।

সৰু ছোৱালী জনীৰ দৰেই অভিযোগ দি গ'ল তাই। সিও শুনি গ'ল একান্ত মনে। আৰু শান্ত ভাৱেৰে ক'লে,

"আচলতে সি তাৰ নিজৰ মতে ভাল topic টো দিছে। কিন্তু যদি তোমাৰ ভাল লগা নাই তেন্তে বেলেগ কিবা লোৱা"

Kaushik

"প্ৰব্লেম টো তাতেই ন। চব english ত ক'ব লাগিব। কি topic ল'লে মই fluently ক'ব পাৰিম মনতে অহা নাই" একে উশাহেৰে কোৱা সন্ধ্যাৰ কথাৰ উত্তৰত এটি মিচিকিয়া হাঁহিৰে ক'লে অনুৰণে,

"তুমি ভাল পোৱা কাৰোবাৰ বিষয়ে কোৱা। কাৰণ নিজে ভাল পোৱা কাৰোবাৰ কথা ক'বলৈ english ত fluency নালাগে, নিজে নিজেই ওলাই যাব চাবা।"

ইতিমধ্যে সন্ধ্যাৰ হোষ্টেল পাইছিলগৈ সিহঁত। "bye" বুলি সোমাই গ'ল তাই। ভাত কেইটা খাই বিচনাত পৰি ভাবিবলৈ লাগিল সন্ধ্যা। কাক ভাল পাই নো তাই আটাইতকৈ। এটাই নাম মনলৈ আহিল চোন। হয়তো, সৰুৰে পৰাই এজনকেই চোন তাই মনৰ থাপনাত বহুৱাই আহিছে। ডিঙিৰ লকেট, হাতৰ ৰাখী, মোবাইলৰ ৱাল পেপাৰ, ৰুমৰ stiker সকলোতে তো তেওঁকেই ৰাখি আহিছে। তেওঁ আন কোনো নহয়, পৃথিৱীৰ বাবে পূজ্য ঈশ্বৰ আৰু সন্ধ্যাৰ বাবে তাইৰ প্ৰেম শ্ৰীকৃষ্ণ। এৰা, তাইৰ topic হ'ব শ্ৰীকৃষ্ণ। mythology related topic কোনেও লোৱাও নাই। গতিকে ভালেই হ'ব। মনটো ভাল লাগিল তাইৰ।

নিৰ্দিষ্ট দিনত presentation আৰম্ভ হ'ল। এটা এটা কৈ দি গ'ল সকলোৱে। চবেই ইমান ভালকৈ কৈছে। তথাপি ভয় লগা নাছিল সন্ধ্যাৰ। তাই জানে, কৃষ্ণৰ কথা য'ত থাকিব তাত তাইক কোনে ৰখাব পাৰে। নিজৰ নাম পৰোঁতে উঠি গৈ এটি মিচিকিয়া হাঁহিৰে আৰম্ভ কৰিলে তাই,

Kaushik

"Good morning everyone. Today, I would like to present on life history of my all time favourite, my friend, my love, my saviour Lord Shri Krishna" কৃষ্ণৰ জন্ম কাহিনীৰ পৰা আৰম্ভ কৰি কৈ গৈছিল সন্ধ্যাই। গকুলৰ দুষ্টালি, ৰাধাকৃষ্ণৰ প্ৰেম-বিৰহ একো বাদ পৰা নাছিল। ইমান দীঘল এটা কাহিনী খুব চমুকৈ বৰ সুন্দৰকৈ ব্যাখ্যা কৰি গৈছিল তাই। কৈ শেষ হোৱাৰ পাছত হাত চাপৰি পৰিছিল গোটেই ক্লাছৰ পৰা। সন্ধ্যা ইমান বিভোৰ হৈ গৈছিল যে কেতিয়ানো শেষ হ'ল যেন গমেই নাপালে তাই। মেমে হাঁহি মাৰি কৈছিল,

"Sandhya looks like Radha na. It seems Radha explained the story of her lover Krishna." ক্লাছটোৰ সিটো ফালে বহি থকা ময়ূৰ যেন অলপকৈ কঁপি উঠিছিল। অস্পষ্ট মাতেৰে আনে নুশুনাকৈ উচ্চাৰণ কৰিছিল সি, "ৰাধা"।

ইফালে প্ৰিয়াই কৈছিল সকলোকে কেনেকৈ মোবাইলৰ ৱাল পেপাৰৰ পৰা chainৰ লকেট লৈকে সকলোতে কৃষ্ণকেই ৰাখে সন্ধ্যাই। জুৰিয়েও কৈছিল সন্ধ্যাৰ বিশেষ কৃষ্ণ মূৰ্তিটোৰ কথা। ক্লাছত সেইদিনাৰ পৰা যেন সন্ধ্যাৰ নতুন নাম এটা আৰম্ভ হৈছিল, "ৰাধা"।

ৰাতি বিচনাত পৰি ভাবি আছিল সন্ধ্যাই কথা বোৰ।

সকলোৱেতো তাইক দিলে বাৰু ৰাধাৰ নাম,

পিছে এই প্ৰেমৰ নগৰীত কোন হ'বনো তাইৰ শ্যাম।

পিছে আজলী সন্ধ্যাই পাহৰি গৈছিল,

গকুলতো শেষত ৰাধা অকলেই ৰৈছিল।

(আগলৈ)

#নিৰিবিলি

Part 40

Assignment আৰু Presentation বোৰ লাহে লাহে শেষ হৈছিল। বাকীবোৰ গ্ৰুপত হোৱাৰ বাবে ঠিকে ঠাকে চলি গৈছিল। সকলোৰে মাজত টপিকটো ভগাই দিয়াৰ বাবে সহজ হৈ পৰে। Presentation বোৰো সন্ধ্যাই চাই চাইয়ে দিছিল। অৱশ্যে তাই বুলিয়ে নহয়, ক্লাছৰ বেছি ভাগেই চাই চাইয়ে দিয়ে। সন্ধ্যাৰ পিছে এটা assignment কৰিহে সকলোতকৈ ভাল লাগিছিল। জুপিতৰা মেমৰ অসমীয়া পেপাৰখনত দিয়া "অসমীয়া নাটকৰ ইতিহাস" assignment টো। এই পেপাৰখন পঢ়িলে তাইৰ কিবা ঘৰত থকা যেন অনুভৱ হয়। তাতে মেমেও যে ইমান মৰমেৰে ক্লাছটো কৰে। তেখেতে সিহঁতক এদিন ঘৰলৈও মাতিম বুলি কৈছে ভাত খোৱাকৈ। পিছে মেমে চাগে পিছৰ ছেমিষ্টাৰত সিহঁতক আৰু নাপাব। অসমীয়া অধ্যয়ন কেন্দ্ৰলৈ নতুন ছাৰ এজন আহিব বোলে। নামটোও কৈছিল। সন্ধ্যাই পাহৰিলে। অৱশ্যে ভালেই। যিমান অসমীয়াৰ শিক্ষক আহে সন্ধ্যাহঁতৰ বাবেই ভাল। আজি অসমীয়াৰ presentation আছিল। পিছৰ ক্লাছদুটা আজি কিবা কাৰণত নহয়। সেইবাবে নিমিষাকে লগত লৈ কিবা বস্তু কিনিব লগা আছিল বাবে বাহিৰলৈ গৈছিল সন্ধ্যা। দিনৰ ভাগত ইউনিভাৰ্চিটীখন সাংঘাতিক ব্যস্ত হৈ থাকে। কাৰো যেন ৰ'বলৈও সময় নাই। চকৰি ঘূৰা দি ঘূৰি ফুৰে চব। সেইবাবেই চাগে সন্ধিয়াৰ পৰা এমিনিটী, essential সকলোতে আড্ডা মাৰি থকাই দেখা যায়। দিনটোত মূৰ দাঙিব

Kaushik

নোৱাৰা ব্যস্ততাৰ অন্তত সন্ধিয়াটো যেন এক প্ৰশান্তি। বাহিৰতেই সন্ধ্যাই সিদ্ধাৰ্থক পালে। সেইদিনা শিখা বাৰ লগত তাক দেখাৰ পৰাই জোকাবলৈ বিচাৰিয়ে আছিল তাই। পিছে সুযোগহে পোৱা নাছিল। এতিয়াৰ এই সুযোগটো আৰু এৰিবনে?

"ছাতিৰ তলত খুব প্ৰেম চলিছে কাৰোবাৰ দেই।" তাইৰ মাত শুনি ঘূৰি চালে সিদ্ধাৰ্থই।

"ঐ, মাৰ লাগে?" ইফালে সিফালে চাই সিদ্ধাৰ্থই ক'লে।

"কি মাৰ লাগে হা? মামাৰ আগত ক'ব নালাগে যদি খোৱা এতিয়া আমাক কিবা।" ব্লেকমেইলিং কৰাটো যেন প্ৰত্যেকজনী ভনীয়েকৰে জন্মগত অধিকাৰ। উপায় নাপাই সিদ্ধাৰ্থই সিহঁতক কমল দাৰ দোকানলৈ লৈ গ'ল। কমল দাৰ দোকান, তেজপুৰ ইউনিভাৰ্চিটীৰ আন এটি প্ৰাণ কেন্দ্ৰ। মেইন গেটৰ পৰা ওলায়েই বাঁওফালে কাষতে এটা শিৱ মন্দিৰ আছে। ইয়াত শিৱৰাত্ৰিও ডাঙৰকৈ পাতে বুলি সন্ধ্যাহঁতে শুনিছে। সেই মন্দিৰটোৰ কাষতে এখন হোটেল। বাঁহৰ হোটেলখনত কেইবাখন ঘূৰণীয়া টেবুল। ঠাইখিনি কিছু আঁতৰত বাবে মেইন গেটৰ হুলস্থুলবোৰ বেছিকৈ নাহে। মুকলি হোৱাৰ বাবে ইয়াত আড্ডা মাৰিবলৈও ভাল। দিনটোত দুই তিনিজন মান থাকিবই ইয়াত। সন্ধ্যাহঁত যাওঁতেই ভিতৰৰ চুকৰ টেবুলখনত কোনোবা ল'ৰাকেইটা মান বহি আছিল। সন্ধ্যাহঁতক বহিবলৈ দি কমল দাক দুই প্লেট চিকেন মেগীৰ অৰ্ডাৰ দিলে সিদ্ধাৰ্থই। অৰ্ডাৰ আহি পাইহি মানে সিহঁতৰ ওচৰতে বহিলহি সিও। সন্ধ্যায়েই আৰম্ভ কৰিলে

"এতিয়া ক, কেনেকৈ আৰম্ভ হ'ল এইবোৰ প্ৰেম লীলা।"

"মানে তেনেকৈ বেছি একো নাই। এই তাইৰ লগৰ এজনীৰ পৰা চিনাকি হ'লো। তাৰ পিছত আৰু।" লাজ লাজকৈ সিদ্ধাৰ্থই কোৱা কথাকেইটা শুনি হাঁহি উঠিল সন্ধ্যাৰ। হাঁহি হাঁহিয়েই ক'লে তাই,

"আই ঐ, বেচেৰাৰ লাজটো চোৱা চোন। ভালেই দে। শিখা বা ছোৱালীজনী ভাল। শুনিছো মইও তাইৰ কথা।"

"অঁ ভাল। আমি প্লেন কৰি থকা নাটকখনৰ স্ক্ৰীপ্ত তাইয়েই লিখিব।" সিদ্ধাৰ্থৰ কথাত সন্ধ্যাৰ মনত পৰিল। সিহঁতে কিবা উপন্যাসৰ পৰা নাটক কৰাৰ কথা শুনিছিল। সেইবাবেই সুধিলে তাই,

"কি নাটকনো?"

Kaushik

"মিৰি জীয়ৰী।" সিদ্ধাৰ্থৰ কথাত মনটো উচ্ছ্বাসেৰে ভৰি পৰিছিল সন্ধ্যাৰ। মিৰি জীয়ৰীৰ নাট্য ৰূপ? কি ধুনীয়া লাগিব। তাই বহুবাৰ পঢ়িছে সেইখন। সোৱণশিৰী পাৰৰ জংকী পানেইৰ কৰুণ কাহিনীত চকুলো বৈ আহে তাইৰ। অমৰ প্ৰেমৰ যি কৰুণ পৰিণতি সেয়া মঞ্চত চাবলৈ কেনে লাগিব বাৰু?

"সঁচা? ৱাহ, বঢ়িয়া। কেতিয়া মানে কৰাবি?" সন্ধ্যাৰ মাতটো ডাঙৰ হৈয়ে ওলাইছিল। সিদ্ধাৰ্থই দবিয়াই উঠিল,

"ৰহ। এতিয়া চিঞৰ বাথৰ নকৰ। ভাবিছোহে। বহুত কাম কৰিবলৈ আছে। সময় লাগিবই এবছৰ মান। তই এক্টিং কৰ যদি ক, পানেইৰ পাৰ্টটো তোকেই দি দিওঁ।"

"ইচ, নোৱাৰোঁ দেই মই এইবোৰ। চাইহে ভাল পাওঁ। কৰিব নোৱাৰো। পিছে কাক দিবিনো পানেই?" সন্ধ্যা যেন ৰ'বই পৰা নাই।

"ঠিক হোৱা নাই ৰ। বিচাৰিব লাগিব। নহ'লে বাহিৰৰ পৰাও আনিব লগা হ'ব পাৰে। জংকীটোহে ফিক্স হ'ল। তোৰ চিনাকি।" সিদ্ধাৰ্থই মিচিকিয়া হাঁহি এটা মাৰি ক'লে। সন্ধ্যাই পিছে ধৰিব নোৱাৰি সুধিলে,

"কোন বা? কেনেবাকৈ তই নিজে নহয়তো?"

"তোৰ মৰমৰ অভিমন্যু" সিদ্ধাৰ্থৰ কথা আৰু আচৰিত হ'ল সন্ধ্যা। অভি আৰু জংকী? মিলিব নে বাৰু সি? অৱশ্যে সি খুব ভাল অভিনয় কৰে বুলি তাই শুনিছে। কিন্তু জংকীৰ বাবে মিলিব জানো। অভিমন্যুৰ কথা ওলোৱাত সন্ধ্যা চুপ হৈ যোৱাটো সিদ্ধাৰ্থইও লক্ষ্য কৰিছিল।

"কি হ'ল? একো নক'লি যে? মন গৈছে নি পানেই হ'বলে।" তাৰ আকৌ দুষ্টালি হাঁহি।

"যাঃ এইডাল। কাম নাই আৰু মোৰ।" কথাটোত খং দেখুৱালেও হাঁহি এটা লাগি আছিল সন্ধ্যাৰ। হয়, কেতিয়াবা কাৰোবাৰ নামৰ উচ্চাৰণো হাঁহিৰ কাৰণ হৈ পৰিব পাৰে।

"সি পিছে তোৰ কথাই কৈ থাকে চোন। কিবা চলি থকা নাইতো তলে তলে।" সিদ্ধাৰ্থৰ কথাত নিমিষাইও হাঁহি দিলে। তেনেতে মেগী আহি পোৱাত সিদ্ধাৰ্থ যাবলৈ ওলাল।

Kaushik

"তহঁতে খা। মোৰ অলপ কাম আছে, গৈ থাকোঁ। আৰু সন্ধ্যা, কিবা কিবি চলিলেও বেয়া নহয় দে। মিলিবি।" তাৰ কথাত সন্ধ্যাই গালি পাৰি উঠিল,

"ছিহ, কোন ককায়েকে ভনীয়েকক এনেকৈ প্ৰেম কৰিবলৈ কয় বাৰু? নিলাজটো এইটো। যাহ।" হাঁহি হাঁহি সিদ্ধাৰ্থ উঠি গৈছিল। তেনেকুৱাতে চুকৰ টেবুলখনৰ পৰা আৰু দুটা ল'ৰাৰ লগত উঠি আহিছিল কৌশিক। সন্ধ্যাৰ সমুখলৈ আহি ক'লে,

"অহ, সন্ধ্যা দেখোন। অহ্ চৰী আমাৰ ৰাধা দেখোন। হে প্ৰেমৰ দেৱী ৰাধা, আমাকো অলপ প্ৰেম প্ৰদান কৰা।"

ইমান এটা ঘটনা হৈ যোৱাৰ পাছতো এই ল'ৰাটো ঠিক নহ'ল। খুব বেছি খং উঠিছিল যদিও সন্ধ্যাই নিজকে ৰখাই মাত্ৰ হাঁহি এটা মাৰি ক'লে,

"ৰাধাৰ প্ৰেম অকল কৃষ্ণৰ বাবেহে। অসুৰৰ চৰিত্ৰ লৈ ৰাধাক বিচাৰিলে সমুখত দূৰ্গাকহে পোৱা যায়।"

সন্ধ্যাৰ কথাত আনহে নালাগে কৌশিকৰ লগত থকা কেইটায়েই জোৰকৈ শব্দ কৰি হাঁহি উঠিল। খঙত দাঁত কৰছি ওলাই গৈছিল কৌশিক। যাওঁতে ভোৰভোৰাই কৈ গ'ল,

"চাই ল'ম মই।"

কৌশিক যোৱাৰ পাছত নিমিষাই কৈছিল,

"তই কিন্তু আগতকৈ বহু খিনি সলনি হ'লি সন্ধ্যা। আগতে হোৱা হ'লে যে কেতিয়াও কৌশিকৰ নিচিনা ল'ৰাক এনেকৈ উত্তৰ দিব নোৱাৰ।"

নিমিষাৰ কথাত সন্ধ্যাইও ভাবিলে, হয় তাই এই কেইমাহতে বহুখিনি সলনি হ'ল। তেজপুৰ ইউনিভাৰ্চিটীৰ জীৱনটো এনেকুৱাই। মানুহক সঁচা জীৱনৰ পাঠ পঢ়ায়। কিন্তু এই ক্ষেত্ৰত অভিমন্যুৰে আটাইতকৈ সৰহ ভূমিকা আছিল। সি নথকা হ'লে তাইৰ বাবে সম্ভৱ নাছিল এইদৰে নিজৰ হৈ থিয় দিয়াটো। হয়তো ভগৱানে কিছু লোকক এইবাবেই আমাৰ জীৱনলৈ পঠিয়াই। মেগীখিনি খাই খাই তাই নিমিষাক সুধিলে,

"তোক কথা এটা সুধিব লগা আছিল নিমি।"

"ওম, সোধ আকৌ।"

"সিদিনা সীমাই ৰিলেশ্যনছিপৰ কথা সোধোতে তই emotional হৈ গৈছিল ন?"

Kaushik

সন্ধ্যাৰ কথাত আচৰিত হৈছিল নিমিষা। হয়, সেইদিনা তাই অকল emotional হোৱাই নহয় চকুদুটাও সেমেকিছিল। কিন্তু সন্ধ্যাই কেনেকৈ ধৰা পেলালে? মানুহক ইমান সূক্ষ্ম ভাৱেৰে চাই নে তাই? নিমিষাই কিবা কোৱাৰ আগেয়ে সন্ধ্যাই আকৌ ক'লে,

"চা নিমি, তই নিজে মোক কিবা নোকোৱালৈকে মই তোক জোৰ নকৰোঁ। কিন্তু যদি কেতিয়াবা কাৰোবাক ক'বলৈ মন যায়, মই আছোঁ।"

সন্ধ্যাৰ আশ্বাসত আৱেগিক হৈছিল নিমিষা। লাহে লাহে কৈছিল তাই,

"ক'ম সন্ধ্যা। আচলতে কি জান? আজিকালিৰ পৃথিৱীখনত দুখ বুজি পোৱা মানুহতকৈ কাহিনী শুনি ভাল পোৱা মানুহৰ সংখ্যাহে সৰহ। সেইবাবে কাকো এইবোৰ নকওঁ মই। কিন্তু তোক ক'ম। তোৰ মনটো সঁচাই বৰ ভাল সন্ধ্যা।"

"কি ক'বা আৰু? ফুল পেকেজ হয় মই, সেইবুলি অহংকাৰ নাই হ'লে দেই।" সুৰ লগাই কোৱা সন্ধ্যাৰ কথাখিনিত হাঁহি পেলালে নিমিষাই। সন্ধ্যাৰ ভাল লাগিল। কাৰোবাৰ মুখত হাঁহি বিৰিঙাব পৰাটো এক অনাবিল আনন্দ পোৱা যায়।

কথা পাতি পাতি খাই হোৱাত অলপ পাছতে ভিতৰলৈ আহিল সিহঁত। নিমিষা নিউ ৱমেনছৰ কোনোবা এজনীৰ ৰুমলৈ যাব লগা আছে। সেইবাবেই সিটো ফালেৰে নগৈ বয়জ হোষ্টেলৰ আগেদি আহিল সিহঁত। এই নিউ ৱমেনছ খন ইয়াত অতবোৰ বয়জ হোষ্টেলৰ মাজত কিয় যে বনালে সন্ধ্যাই বুজি নাপায়। খোজ কাঢ়ি আহি থাকোঁতেই নিমিষাই ক'লে,

"মোৰ কথা বাৰু ক'ম, পিছে তই নিজে কি ভাবিছ? অভিমন্যুৰ লগত সদায় এনেকৈ কাজিয়াই কৰি থাকিবি নে কিবা আগবাঢ়িবি?"

"মই কি জানো" অভিমান আৰু লাজৰ এটি মিশ্ৰিত স্বৰত সন্ধ্যাই ক'লে।

"কি আকৌ মই কি জানো? চা, আজি সিদ্ধাৰ্থ দাইও কৈছে। মানি ল আৰু তইও যে তাক ভাল পাঁৱ।"

"ধেৎ এইজনী।" সন্ধ্যাই হঁহাৰ দৰে ক'লে।

কথা পাতি পাতি নিউ ৱমেনছ পালেহি সিহঁত।

Kaushik

নিমিষা নিউ ৰমেনছলৈ যোৱাৰ পাছত সন্ধ্যা আগবাঢ়িছিল। হঠাৎ চৰাইদেউ হোষ্টেলৰ সমুখত এটা গোন্ধত ৰৈ গ'ল সন্ধ্যা। এটা চিনাকি চিনাকি গোন্ধ। হয়, শেৱালিৰ মনোমোহা সুবাসে আমোলমোলাই আছিল চৰাইদেউৰ আগফালখন। চৰাইদেউ বয়জ হোষ্টেল। হোষ্টেলটো বাকীকেইখনৰ তুলনাত কিছু সৰু যদিও ইয়াৰ পৰিৱেশটো বৰ ধুনীয়া। বিশেষকৈ হোষ্টেলটোলৈ সোমোৱাৰ বাটতে ৰাস্তাৰ কাষত থকা এই শেৱালি জোপাই আৰু সোণত সুৱগা চৰাইছে। ফুলবোৰ সৰি গোটেই বাটটো যেন বগা দলিছাৰ দৰে হৈ পৰিছে। শেৱালি জোপা পাৰ হৈয়ে কেইজোপামান কাঞ্চন। আৰু একেবাৰে শেষত হোষ্টেলটোৰ গাতে লাগি আছে কৃষ্ণচূড়া জোপা। সন্ধ্যা সেইখিনিতেই ৰৈ অলপ শেৱালি বুটলিবলৈ লাগিল। সঁচাই এই ফুলপাহ বৰ প্ৰিয় তাইৰ। কৃষ্ণচূড়া হৈ আকাশত ফুলিবলৈতো সহজ, কিন্তু শেৱালি হৈ সৰিও নিজৰ সুবাস বিলাই থকাটো জানো সহজ কথা। ফুলকেইপাহ মান তুলি বেগত ভৰাওঁতেই পিছফালৰ পৰা কাৰোবাৰ মাত,

"সন্ধ্যা"

ঘূৰি চাই দেখে চাইকেলখন লৈ সমুখত অনুৰণ।

"কি কৰি আছা?" আকৌ সুধিলে সি।

"শেৱালি বুটলি আছিলোঁ। বৰ ভাল লাগে মোৰ শেৱালি ফুল।" ফুলখিনি আলফুলকৈ বেগত ভৰাই তাই ক'লে।

"ক'লৈ যোৱা পিছে? অকলে অকলে যে" অনুৰণে চাইকেলৰ পৰা নামি সুধিলে।

"নিমিষাও আছিল। বাহিৰৰ পৰা আহি আছিলোঁ। তাই নিউ ৰমেনছত সোমাল। মই এতিয়া হোষ্টেললৈকে আৰু।"

"কালি ভাল লাগিল পিছে presentation। খুব ভাল পোৱা যেন পাইছো কৃষ্ণক।" অলপ জোকোৱাৰ দৰেই সুধিলে সি।

"ভাল মানে, কৃষ্ণতো মোৰ প্ৰেম হয়।" সন্ধ্যাইও হাঁহি হাঁহিয়ে ক'লে।

"পিছে চবেইতো কৃষ্ণক প্ৰাৰ্থনা কৰে। তুমি পিছে প্ৰেম বুলি ক'লা যে?" তাৰ প্ৰশ্ন। সন্ধ্যাৰ এই কথাটোত সকলোৱেই আচৰিত হয় পিছে। জগতৰ ঈশ্বৰ শ্ৰীকৃষ্ণক প্ৰেম বুলি কোৱাৰ সাহস ক'ৰ পৰা পাই সন্ধ্যাই। তাই খুব শান্ত ভাৱেৰে অনুৰণৰ প্ৰশ্নটোৰ উত্তৰ দিলে,

Kaushik

"প্ৰেমতকৈ শ্ৰেষ্ঠ প্ৰাৰ্থনা বেলেগ কিবা হ'ব পাৰে জানো?"

কেই মূহুৰ্তমান অনুৰণে চাই ৰৈছিল সন্ধ্যালৈ। অন্তৰত কিমান খিনি অনুভূতি থাকিলে মানুহে প্ৰেমক প্ৰাৰ্থনা বুলি মানিব পাৰে বাৰু? ৰিব ৰিব বতাহ চাটিত এপাহি শেৱালি সৰিছিল। সন্ধ্যা গছজোপাৰ একেবাৰে কাষতে আছিল বাবে ফুলপাহ আহি ওলমি ৰৈ গৈছিল তাইৰ কাণৰ কাষৰ চুলিৰ ভাঁজত। অনুৰণে হাতেৰে আলফুলে তাইৰ চুলিখিনিৰ ভাঁজৰ পৰা ফুলপাহ আনিছিল। সন্ধ্যাৰ চকুহাল আপোনা আপুনি জাপ খাই গৈছিল সি চুলিখিনিত হাত ফুৰাওঁতে। আকৌ যেন সেই অনামী অনুভৱ। শেৱালি পাহ অনুৰণে তাইলৈ আগবঢ়াই দিলে। হাত পাতি লৈছিল সন্ধ্যাইও। এটি মিচিকিয়া হাঁহি নিগৰিছিল তাইৰ ওঁঠেৰে। অনুৰণেও হাঁহিছিল চকুৰ ভাষাৰে। কিয় জানো সেইপাহ বেগত নভৰাই হাততেই লৈ আছিল তাই। চৰাইদেউৰ পৰা চাইকেলেৰে ওলাই আহিছিল ল'ৰা এটা। সিহঁতক দেখিয়েই হ'বলা ; গুণ গুণাই গাই গৈছিল,

"ঢৌ খেলা চুলিৰে শৰতৰ লুকা ভাকু,

মিচিকিয়া হাঁহিৰে যে ইপাৰ সিপাৰ বুকু..

অ'......

এতিয়া হিয়া মোৰ....."

(আগলৈ)"

Kaushik

#নিৰিবিলি

Part 41

কেই মূহুৰ্ত মান তেনেকৈয়ে গৈছিল। অনুৰণৰ সমুখত থাকিলেই সন্ধ্যাক কিয় যে সেই অনামী অনুভৱটোৱে আগুৰি ধৰে তাই নিজেও বুজি নাপায়।

"হোষ্টেল যাবাতো?" অনুৰণেই প্ৰথমে ক'লে।

"উমম" অনুৰণৰ পৰশটো যেন লাগি আছিল সন্ধ্যাৰ মনতো, মাততো। অনুৰণে চাইকেলখন ঘূৰাইছিল। ঠিক তেনেতে সমুখৰ পৰা আহি ওলাইছিল অভিমন্যু। খুব স্পীডত আহি সন্ধ্যাৰ সমুখত শব্দ কৰি ব্ৰেক মাৰিছিলহি।

"ঐ, তই অকল চোৰেই কৰি ফুৰ যে। কেতিয়াবা পাটকাইৰ নেমু, কেতিয়াবা চৰাইদেউৰ শেৱালি ফুল।"

আহিয়েই তাৰ জোকোৱা আৰম্ভ। অনুৰণেও হাঁহিলে তাৰ কথাত। অভিমান ভৰা মাতেৰে সন্ধ্যাই ক'লে,

"হ'ব, নিজেতো আনি দিব নোৱাৰেই। মই বিচাৰি ল'লেও তোৰ অকল ঠাট্টা।"

"হ'ব হ'ব, কেঁচুৱামি বাদ দে। অনুৰণ, মই আহি আছোঁ ৰ'বা। তুমি হোষ্টেলতে ৰোৱা গৈ। মই আহি একেলগে ভাত খাম।" অভিমন্যুয়ে চাইকেলখন ঘূৰাই লৈ ক'লে। অনুৰণে ঠিক বুজি নাপালে। সিহঁত দুইটা একেলগে essentialৰ পৰা আহিছিলহে। এতিয়া আকৌ ই ক'লৈ যায়,

"তুমি আকৌ ক'ৰবালৈ যোৱা নেকি?"

অনুৰণৰ প্ৰশ্নত অভিমন্যুয়ে সন্ধ্যাৰ বাহুত ভেঁজা দি ক'লে,

"ক'ত যাবা আৰু? এখেতক পালোঁ যেতিয়া হোষ্টেলত থৈ নাহিলে সুদাই এৰিব নে? তুমি অলপ ৰোৱা ৰুমতে মই আহি আছোঁ।"

আকৌ সেই সেমেকা হাঁহিটো ওলমি ৰৈছিল অনুৰণৰ মুখত। অভিমন্যু নাইবা সন্ধ্যা এটাইও দেখা নাছিল হাঁহিটোৰ আঁৰৰ নোকোৱা কাহিনীবোৰ।

"ঐ, কথা ভালকে ক'বি। তোক কৈছোঁ নেকি মই থৈ আহিবলে।" সন্ধ্যাৰ মাতত যেন আকৌ অভিমানবোৰে ভিৰ কৰিছেহি।

"ধেমালি কৰিছো অ'। মোক লগ পোৱাৰ পাছতো তোক অকলে যাবলে দিব পাৰো জানো মই?" সন্ধ্যাৰ হাতত ধৰি কাষ চাপি অভিমন্যুয়ে কৈছিল। অনুৰণ কিছু পিছুৱাই গৈছিল সিহঁতৰ কাষৰ পৰা।

"ঠিকে আছে, যাবা তোমালোক।" বুলি অনুৰণে চাইকেল ঘূৰাই লৈছিল পাটকাইৰ ফালে। সন্ধ্যাই এবাৰ সি যোৱাৰ ফালে চাই ৰ'ল।

"ঐ, উঠ আকৌ চাইকেলত।" অভিমন্যুৰ কথাত চাইকেলত উঠিল সন্ধ্যা। আগবাঢ়িছিল সিহঁত সোৱণশিৰীৰ ফালে। চৰাইদেউ পাৰ হৈ নীলাচল। নীলাচল পাৰ হৈ কাঞ্চনজংঘা পোৱাৰ আগে আগেই হঠাৎ চাইকেলৰ স্পীড একেবাৰে কমাই দিলে অভিমন্যুয়ে।

"কি হ'ল আকৌ?" সন্ধ্যাই সুধিলে।

Kaushik

"তই এইকণ খোজকাঢ়ি যা না। আগত পৰী আহি আছে। অলপ কথা পাতোঁ তাইৰ লগত।" অভিমন্যুৰ কথাত আগলৈ চাওঁতেহে গম পালে সন্ধ্যাই। পৰী সিফালৰ পৰা আহি কাঞ্চনজংঘাৰ সন্মুখ পাইছিলহি। কিন্তু পৰী আহিল বুলি কি সি নমাই দিব তাইক? আৰু তাইও কি নামি দিব? ই কি বুলি ভাবিছে মানে তাইক? মন গ'লেই উঠাব মন গ'লেই নমাব। খঙত মাতটো জোৰকৈয়ে ওলাল তাইৰ,

"What the hell। ফাল্টু নেকি তই? আনিছিলি কিয় তেন্তে মোক? মই মুঠতে নানামো।"

হাঁহি উঠিল অভিমন্যুৰ। এই ছোৱালীজনীক খংটো উঠাবলৈকে সি কি খন যে নকৰে। এনেও এতিয়া পৰীয়ে ক'লেও সি চাইকেলত নুঠাই, তাতে সন্ধ্যাক নমাই। কিন্তু তাইৰ খংটো উঠাবলৈকে কৈছিল। সফল হ'ল যেতিয়া যাব পাৰি আৰু। "এনেই কৈছোঁ অ'" বুলি আগবাঢ়োতেই পৰী সিহঁতৰ সন্মুখ পালেহি। সন্ধ্যা পিছফালে আছিল বাবেই হ'বলা, তাই মন কৰা নাছিল। অভিমন্যুক দেখিয়েই পৰীয়ে চিনাকি সুৰটো উলিয়ালে,

"Hi অভিমন্যু, ক'ত যোৱা?"

অভিমন্যুয়ে একো ক'বলৈ নাপালেই। পিছফালে সন্ধ্যা যেন সাজু হৈয়েই আছিল। তাই টপৰাই মাতিলে,

"ক'ত যাব আৰু পৰী, এই মোক হোষ্টেলত থৈ আহে গৈ মানে।"

"অহ, সন্ধ্যাও আছা।" পৰীৰ মাতটো যেন এইবাৰ তল পৰি গৈছিল।

কিন্তু সন্ধ্যাই একেই সুৰেৰে ক'লে,

"অঁ, মইও আছোঁ। বাহিৰৰ পৰা আহোতেই ইয়াক লগ পালোঁ। মই নালাগে বুলিয়ে কৈছিলোঁ, কিন্তু ই মানে একদম নামানে বুইছা নে। মোক খোজকাঢ়ি যাবলৈয়ে নিদিয়ে। অভি, ব'ল আমি গৈ থাকোঁ।"

এইফালে অভিমন্যুৰ হাঁহিম নে কান্দিম এনে লাগিল। পৰী বুলিয়েই নহয়, যিকোনো ছোৱালীৰ লগতে তাক দেখিলে সন্ধ্যাৰ জ্বলন হয় বুলি সিও জানে, সেইটো লৈ সিও ৰং চাই। কিন্তু সেইবুলি এনেকুৱাকৈ যে সন্ধ্যাই কাৰোবাক উত্তৰ দিব সি সপোনতো ভবা নাছিল। সিফালে পৰীয়ে সেমেনা সেমেনিকৈ "হ'ব, মই যাওঁ দিয়া" বুলি আঁতৰিল।

Kaushik

"ঐ, কি মানে। এনেকৈ কিয় ক'ব লাগেনো তাইক?" পৰী যোৱাৰ পাছত অভিমন্যুয়ে চাইকেল আগবঢ়াই ক'লে।

"কিয়? তেনেকৈ নকৈ তোক চেনি খাবলে এৰি দিব লাগিছিল মানে?" খং উঠি আহিছিল সন্ধ্যাৰ। আৰু অকণ ৰং চাওঁ বুলিয়ে সি সুধিলে,

"বাৰু তই যে মোক এনেকৈ বেলেগৰ লগত দেখিলেই jealous হঁৱ, কিয়?"

অন্যমনস্ক হৈ আছিল হ'বলা সন্ধ্যা। ঘপকৈ কৈ পেলালে,

"কাৰণ মই তোক বেলেগৰ লগত চাব নোৱাৰোঁ।"

"কিয় নোৱাৰ?" সি আকৌ সুধিলে।

"নোৱাৰোঁ আৰু। কিয় চিয় নাজানো।" সিহঁত আহি সোৱণশিৰী পালেহি। চাইকেলৰ পৰা নামি সন্ধ্যাই সুধিলে,

"সিদ্ধাৰ্থ দাই ক'লে তই হেনো মিৰি জীয়ৰীত জংকী হ'বি?"

"অঁ, কৈছো হ'ম বুলি। চাওঁ চোন। তই হ'বি নি পানেই?" চাইকেলখন ঘূৰালে সি।

"কাম নাই আৰু মোৰ।" সন্ধ্যাই ক'লে।

"তই মোৰ পানেই হোৱা হ'লেতো মোৰ টেনশ্যনেই নাছিল। হ'ব দে যাওঁ মই।" কথাখিনি কৈ আকৌ পাটকাইলৈ ঘূৰি গ'ল অভিমন্যু। সন্ধ্যাই চাই ৰৈছিল তালৈ। কিয় ক'লে সি তেনেকৈ? যে তাই পানেই হ'লে তাৰ কোনো টেনশ্যনেই নহয়। সি কেনেবাকৈ তাইক? হয় জানো? তাই নোকোৱাকৈয়ে থৈও গ'লহি হোষ্টেলত। তাই কৰা প্ৰতিটো অভিমান যে সি ইমান আলফুলে ভাঙে। অভিমন্যু আঁৰ নোহোৱালৈকে চাই আছিল সন্ধ্যাই।

"Ahem ahem, কাৰোবাৰ কিছু ভাগ্য দেই। আহিয়েই একদম হোষ্টেলত থৈ যোৱা মানুহ পাইয়ে গৈছে।" পিছফালৰ পৰা মানে হোষ্টেলৰ ভিতৰৰ পৰা কোন সময়ত আহি ৰীণা বা ওলালহি সন্ধ্যাই গমেই নাপালে। ধুনীয়া কাপোৰ পিন্ধি ওলাই অহা ৰীণা বাক দেখি তাই সুধিলে,

"ক'ৰবালৈ যোৱা নেকি বা?"

"অলপ শ্বপিং কৰিব লগা আছে অ'। কাপোৰ দুযোৰ মানো কিনিব লাগে। হেৰি পালেহিয়ে নহয়।" মেলা চুলিখিনি ঠিক কৰি কৰি ৰীণা বাই ক'লে। তাইৰ গাৰ পৰা উফৰি আহিছিল পাৰফিউমৰ তীব্ৰ সুগন্ধ।

"কি পালেহি নো?" সন্ধ্যাই বুজি নাপাই সুধিলে।

"কিয়, গমেই নোপোৱা নেকি? অহা সপ্তাহত Techxetra নহয়?" কথাটো কৈ Essential ৰ ফালে আগুৱাই গ'ল ৰীণা বা। তাইৰ লগৰ কেইজনীও আহি পাইছিলহি।

ৰীণা বাৰ কথাতহে মনত পৰিল সন্ধ্যাৰ। হয়, অহা সপ্তাহত টেক্সেত্ৰা (Techxetra)। বিদিশা বাৰ পৰা তাই জানিছিল, অকল তেজপুৰ, অকল অসমৰেই নহয় ; সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ আটাইতকৈ বৃহৎ টেকনিকেল ফেষ্ট। যিটো প্ৰত্যেক বছৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইঞ্জিনিয়াৰিঙৰ ডিপাৰ্টমেন্টবোৰে অনুষ্ঠিত কৰি আহিছে। অসমৰ লগতে ভাৰতৰো বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই Techxetra লৈ যেন অকল তেজপুৰ বিশ্ববিদ্যালয়েই নহয়, গোটেই শোণিতপুৰেই অপেক্ষা কৰি থাকে। Techxetra ৰ কেইদিন দিনত বিভিন্ন বিজ্ঞানৰ কৰ্মশালাবোৰ হয় আৰু ৰাতি সাংস্কৃতিক অনুষ্ঠান, ডি জে নাইট আৰু শেষৰ দিনা বলিউদৰ প্ৰখ্যাত গায়কৰ সংগীতানুষ্ঠান। গোটেই তেজপুৰ ইউনিভাৰ্চিটী যেন লোকে লোকাৰণ্য হৈ পৰে। হোষ্টেলৰ কমন ৰুম, গেষ্ট ৰুমবোৰ বাহিৰৰ পৰা অহা মানুহেৰে পূৰ হৈ উঠে। মুঠতে এক বৃহৎ আয়োজনেৰে অনুষ্ঠিত হয় এই Techxetra। গতিকে ইয়াক লৈ ছোৱালীবোৰৰো কম উচ্ছাস নাথাকে। সেইবাবেই ৰীণা বাহঁত গৈছে বজাৰলৈ। এইকেইদিন তেজপুৰৰ কাপোৰৰ দোকানত ভিৰ চাবা আৰু ইউনিভাৰ্চিটীৰ ছোৱালীহঁতৰ।

ৰুমলৈ গৈ শেৱালি কেইপাহ কৃষ্ণৰ মূৰ্তিটোৰ সমুখতে ৰাখি থ'লে সন্ধ্যাই। শেৱালিৰ সুবাস বিয়পি পৰিছিল কোঠাটোত। বিচনাতে পৰি মোবাইল টিপি থকা বিদিশাই ক'লে,

"ক'ত পালি ইমান ফুল?"

"চৰাইদেউৰ সমুখত। গোটেই ৰাস্তাটো বগা হৈ আছিল শেৱালিৰে।" ফুলবোৰ সজাই ক'লে সন্ধ্যাই। কিন্তু সেই বিশেষ এপাহ ফুল টেবুলত ন'থৈ তাই ডায়েৰিখনৰ মাজত সোমোৱাই থ'লে। হয়, অনুৰণে দিয়া পাহেই সেইপাহ।

Kaushik

"পিছে তল সৰা শেৱালি ভাল পাব জানো তোৰ কৃষ্ণই?" সন্ধ্যাৰ কৃষ্ণপ্ৰেমৰ কথা বিদিশাইও জানে। সেইবাবেই জোকালে তাই। ফুলবোৰ মূৰ্তিটোৰ একেবাৰে কাষলৈ চপাই চপাই শান্ত মাতেৰে সন্ধ্যাই ক'লে,

"যি সৰাফুল ভাল নাপাই, সি মোৰ কৃষ্ণ হ'বই নোৱাৰে।"

সন্ধ্যাৰ কথাত একেথিৰে চাই ৰৈছিল বিদিশাই তাইলৈ। এই ছোৱালীজনী, তলসৰা ফুললৈও যাৰ ইমান হেঁপাহ কিমান মৰম ভৰি থাকিব তাইৰ অন্তৰত। সেইবাবেই বিদিশাই খুব মৰম কৰে তাইক।

"ৰীণা বাহঁত Techxetraৰ কাৰণে কাপোৰ কিনিবলৈ গৈছে। তুমি নোযোৱা নেকি?" সন্ধ্যাই এইবাৰ তাইৰ ফালে ঘূৰি সুধিলে।

"এ থ ঔ। নিজৰ এটাতো আছেই, এতিয়া কি কাপোৰ পিন্ধি বেলেগ ল'ৰাৰ আগত ঢং দিম আৰু?"

বিদিশাৰ কথাৰ সুৰত হাঁহি ৰখাব নোৱাৰিলে সন্ধ্যাই। বিদিশা ৰিলেশ্যনছিপত খুব বেছিয়েই লয়েল বুলি জোকাই ৰীণা বাহঁতে।

Kausnik

লাহে লাহে Techxetra ওচৰ চাপিছিল। বিদিশা বাই কোৱাৰ দৰেই গোটেই বিশ্ববিদ্যালয় চৌহদটো যেন সাজি কাচি উঠিছিল। হোষ্টেলৰ গেষ্টৰুম বোৰ চাফা কৰি চিকচিকিয়া কৰি তোলা হৈছিল। কিবা কিবি নামৰ কাগজ লৈ ব্যস্ত হৈ পৰিছিল বিদিশা, ৰীণাহঁত। দীপা ঘৰত থকাৰ বাবে সকলো দায়িত্ব সিহঁতেই ল'ব লগা হৈছিল। হোষ্টেলৰ সকলো ছোৱালীকে জনাই দিয়া হৈছিল সকলোৱে যেন সেই কেইদিন লগত অনবৰতে ইউনিভাৰ্চিটী I card থন ৰাখে। হোষ্টেলত ইঞ্জিনিয়াৰিঙৰ ষ্টুডেন্টবোৰে Techxetraৰ টি চাৰ্ট বেচি আছিল। ক'লাকৈ ৩৫০ টকাৰ চাৰ্টটো সন্ধ্যাইও এটা ল'লে। ইফালে মেইন গেটত চেকিংবোৰ বাঢ়িছিল। মুঠতে চাৰিওফালে ব্যস্ততা। এখন যেন ব্যস্ততাপূৰ্ণ বিয়াঘৰ। মেইন গেটৰ পৰা কাষে কাষে সজাই তোলা হৈছিল ৰঙা নীলা কাপোৰৰ নিচানবোৰ। বতাহ দুলি থকা নিচানবোৰে আগন্তুক সকলক যেন আদৰণি জনাইছিল কাঞ্চনৰ চহৰলৈ। ফিল্ডত সাজি তোলা হৈছিল এটা অস্থায়ী খোলা ষ্টেজ। এফালে আকৌ বাঁহেৰে ৰঙা নীলা কাগজ লগাই ওখকৈ লিখি দিছিল,

"I am Techxetra'15"

সেইদিনা আবেলি সন্ধ্যালৈ ফোন এটা আহিছিল। কোনোবা ল'ৰাৰ মাত,

"চিনি পাইছা নে সন্ধ্যা?"

ওহোঁ চিনি নাপালে সন্ধ্যাই। সি নিজেই চিনাকি দিলে,

"মই মনজিত।"

তেতিয়াহে মনত পৰিল সন্ধ্যাৰ। তাইৰ স্কুলীয়া দিনৰে বন্ধু মনজিৎ। স্কুল শেষ কৰি সি গুৱাহাটীত পঢ়িবলৈ যোৱাৰে পৰা সিহঁতৰ কথা বতৰা হোৱা নাছিল। এতিয়া পুৰণি কাৰোবাৰ পৰা নম্বৰ লৈ সি ফোন কৰিছে। সিও আহিব হেনো Techxetra লৈ। তাইক লগ কৰাৰ কথা কৈছে। ভাল লাগিল তাইৰ। বহুদিনৰ মূৰত লগ পাব তাক।

Techxetra ৰ আগদিনাৰ আবেলিলৈ সকলো আয়োজন যেন শেষ হৈছিল। হোষ্টেলত বাহিৰৰ মানুহবোৰ আহি সোমাইছিল। লগতে হোষ্টেলত আগৰ আৱাসী সকলো আহিছিল। সন্ধ্যাক সোৱণশিৰীৰ পুৰণি দুই এজনী ছোৱালীৰ লগত চিনাকিও কৰাই দিছিল বিদিশাই। ইমান দিনৰ মূৰত নিজৰ চেনেহৰ হোষ্টেল খন এক দুই ৰাতি কটাবলৈ পাই, মৰমৰ চৌহদটোত খোজকাঢ়ি, ঘূৰি আকৌ পুৰণি স্মৃতিবোৰ ৰোমন্থন কৰিবলৈ পাই প্ৰাক্তন শিক্ষাৰ্থীসকলৰ চকুত যেন এক অন্য আভা জিলিকিছিল। সঁচাই, অনুৰাধা শৰ্মা পূজাৰী বাইদেৱে কোৱাৰ দৰেই "সময়ৰ কেলেণ্ডাৰ কেতিয়াও পুৰণি নহয়"। নিকিনো নিকিনো বুলি সন্ধ্যাৰো দুই এযোৰ কাপোৰ কিনাই হ'ল গৈ। সিদিনা অভিমন্যুৰ লগতে টাউন পালেগৈ তাই। সিদ্ধাৰ্থ দাৰ বাইকখনতে গৈছিল সিহঁত। সন্ধ্যাৰ ভাল লাগে, আজিকালি কিবা এটা সহায় বিচাৰিলে ঘপকৈ না নকয় অভিমন্যুয়ে। পিছে টাউনত গৈহে লাগিছিল গৈ আকৌ দুইটা। সন্ধ্যাৰ মন আছিল টাউনৰ কোনোবা ভাল ৰেষ্টোৰা এখনত খাব। কিন্তু অভিমন্যু নাচোৰ বান্দা, সি ৰাধেশ্যামৰ কচুৰীহে খাব।

"কিনো কচুৰী ডাল খাঁৱ। সদায় তোৰ এনেকুৱা মানে।"

"আৰে এবাৰ গৈ চা, বেয়া পাৱ যদি নাখাবি।"

শেষত তাৰটোৱেই মানিব লগা হ'লগৈ। ফুলা মুখখনেৰে ৰাধেশ্যাম নামৰ সৰু হোটেলখনত বহিল সন্ধ্যা। কিন্তু তাত কচুৰীটো খোৱাৰ পাছত সঁচাই তাইৰ ভুল ভাঙিছিল। সঁচাই আচৰিত সোৱাদ ৰাধেশ্যামৰ কচুৰীৰ। সেইবাবেই এই সৰু

Kaushik

হোটেলখনত ইমান ভিৰ। তেজপুৰত থাকি যদি তুমি ৰাধেশ্যামৰ কচুৰী খোৱা নাই, তেন্তে কি খালা আৰু তুমি? আহি থাকোঁতে বাটত সি সন্ধ্যাক কৈছিল,

"ঐ, প্ৰগ্ৰামত বেছি চুটি চুটি কাপোৰ নিপিন্ধিবি।"

হাঁহি দিছিল সন্ধ্যাই জোৰকৈ। ইমান চিন্তা তাৰ বেলেগে তাইক চাব বুলি। সিহঁত টাউনলৈ যোৱাৰ কথাটোত আকৌ জোকোৱাৰ ঢৌ উঠিছিল,

"বেলেগ আৰু, ডেটত যোৱা ষ্টাৰ্ট হৈ গ'ল।"

"বৰ ধুনীয়া মিলিছে দেই ইহঁত দুটা।"

"হেৰৌ কিমান আৰু এনেকে ঘূৰিবি, অফিচিয়েল কৰ আৰু।"

আৰু যে কত কি। এইবোৰত পিছে সন্ধ্যাই হাঁহি এটা মাৰিয়ে আঁতৰি আহে। অনুৰণে কোৱাৰ পৰাই তাইৰো অনুভৱ কৰিছে হয়, তাইও চাগে অভিমন্যুক ক'ৰবাত ভাল লাগে। কিন্তু অলপ সময়ৰ প্ৰয়োজন সিহঁতক।

Kaushik

অৱশেষত Techxetra আৰম্ভ হ'ল। সন্ধ্যাহঁতে ভাবিছিল হয়তো ক্লাছ নহ'ব। কিন্তু সন্ধ্যাহঁতক আচৰিত কৰি ক্লাছটো হ'লেই, লগতে ঘোষণা কৰিলে যে Techxetra শেষ হোৱা তিনিদিন পাছৰ পৰাই পৰীক্ষা। মানে 5th test। খং উঠিছিল, বিৰক্তি লাগিছিল। কিন্তু উপায় নাই। কাৰণ এইয়াই তেজপুৰ ইউনিভাৰ্চিটী। এইটো টাৰ্মিনেল বাৰু, ২৫ নম্বৰৰ। কিন্তু হ'লেও Techxetra ৰ পাছতেই কিয়। হোৱাটচ এপৰ গ্ৰুপত সকলো জাৰিছিল মনৰ ক্ষোভ, frustration। এসময়ত ঠাণ্ডা হৈ গৈছিল সকলো। এইয়াই হয়, এনেকৈয়ে চলি আহিছে ব্যৱস্থাবোৰ। কেতিয়া সলনি হ'ব কোনেও নাজানে।

Techxetra ৰ প্ৰথম নিশা "ডি জে নাইট"। কোনোবা বাহিৰৰ বেণ্ড এটা আহিছে। ঠিক ৮ বজাৰ পৰাই আৰম্ভ হ'ব। আবেলিৰে পৰা চাওণ্ড বক্সবোৰত লগোৱা গানৰ কোবত হোষ্টেলৰ আইনাৰ খিৰিকীখনো থন থনকৈ কঁপিছিল। আন্ধাৰ হোৱাৰ লগে লগে ফিল্ডত ভিৰ হৈছিলহি মানুহৰ। ইউনিভাৰ্চিটীৰ ভিতৰৰ বাহিৰৰ সকলো মিলি মানুহ কেনিও মণিব নোৱাৰা হৈছিল। সন্ধ্যাহঁতৰ গ্ৰুপটোৱে ঠিক কৰিছিল প্ৰথম দিনা সকলোৱে নীলা জীনচৰ লগত Techxetra ৰ বিশেষ টি চাৰ্টটো পিন্ধি ওলাব। সেইদৰেই ওলাই গৈছিল সিহঁত। অভিমন্যু, ৰাজদ্বীপ, আৰিফহঁতো আহি লগ হৈছিল। চাউণ্ড বক্সৰ কোবত কাৰো যেন মাত নুশুনি। ফিল্ডখনৰ এটা কাষত বিভিন্ন দোকান বহিছিলহি।

বেছিভাগেই ৰেস্তোঁৰা। এবাৰত সকলোৰে পৰা ফালৰি কাটি আহি অভিমন্যু আৰু সন্ধ্যাই কিবা খাইছিলহিও। তাৰ কাষ চাপি তাই কৈছিল,

"চাবি কিন্তু, যাৰে তাৰে লগত চেনি খাই নুফুৰ যাতে।"

"তই মোৰ লগতে থাকিবি আকৌ।"

সিও তাইক কাষলৈ চপাই আনি কৈছিল। লাহে লাহে প্ৰগ্ৰাম আৰম্ভ হ'ল। গোটেই ল'ৰা ছোৱালীৰ চিঞৰত যেন কঁপি উঠিছিল ফিল্ডখন। সন্ধ্যাই ইফালে সিফালে চাইও অনুৰণক বিচাৰি নাপাই অভিমন্যুক এবাৰ সুধিলেও। সি "লগৰ কাৰোবাৰ লগত আছে" বুলি কোৱাত সন্ধ্যাই ভবা বাদ দিলে। গানৰ অনুষ্ঠান চলিয়েই আছিল। কিছুমানে তালে তালে উদ্দাম নৃত্য কৰিছিল আন কিছুমান মাত্ৰ চাই আছিল। সন্ধ্যা ভিৰৰ মাজলৈ ইচ্ছা কৰিয়েই যোৱা নাছিল। আজি বেছি ভাগেই সোমৰসৰ নিচাত। মানুহৰ ভিৰৰ পৰা ভাঁহি অহা এই গোন্ধটো সন্ধ্যাৰ সহ্য নহয়। তাই বুজি নাপাই, ফুৰ্তি কৰিবলৈ মানুহে এইবিধ বস্তুৰ সহায় কিয় লয়? মাজে মাজে কিছুমান একোটা বিকট চিঞৰ। সিহঁতৰ গ্ৰুপটো একেবাৰে ভিৰৰ মাজত নাছিল যদিও একেবাৰে আঁতৰতো নাছিল। সীমাত ৰৈ আছিল সিহঁত। মাজে মাজে ছেল্ফিৰ পৰ্বও চলি আছিল। গোটেইবোৰে একে চাৰ্ট পিন্ধি ফটো তোলাৰ হেঁপাহ। ফেচবুক, ইনষ্টাগ্ৰাম ভৰিছিল Techxetraৰ ফটোৰে। এনেতে হঠাৎ পিছফালৰ পৰা অনুৰণ আহি সিহঁতৰ মাজত যোগ দিছিলহি। অভিমন্যু আৰু ৰাজদ্বীপে জোৰ কৰাত এপাক নাচিছিল সিও। সকলো আকৌ ব্যস্ত হৈ পৰাত সন্ধ্যাই এবাৰ সুধিলে তাক, "ক'ত আছিলা?"

"এই স্কুলৰ লগৰ দুটামান আহিছিল, আছিলোঁ সিহঁতৰ লগতে।" শান্ত সুৰেৰে কৈছিল যদিও অনুৰণৰ কথাটোত এক অসহ্য খং আৰু বিৰক্তি নামিছিল সন্ধ্যাৰ মুখলৈ। কাৰণ অনুৰণৰ মুখৰ পৰাও ভাঁহি আহিছিল সন্ধ্যাই ঘিণ কৰি অহা সেই বিশেষ গোন্ধটো। হয়, তাৰ ব্যৱহাৰ আৰু কথাত কোনো পৰিৱৰ্তন নাছিল। নাছিল মদৰ নিচাৰ কোনো সাক্ষী দিব পৰাকৈ মাতলামিও, মাত্ৰ গোন্ধটোৰ বাহিৰে। কিন্তু সৰুৰে পৰা এটা ৰক্ষণশীল পৰিয়ালত সমাজে সৃষ্টি কৰা সংস্কাৰৰ আঁৰত ডাঙৰ দীঘল হৈ অহা সন্ধ্যাৰ বাবে মদ্যপান আছিল অক্ষমণীয় অপৰাধ আৰু নষ্ট চৰিত্ৰৰ উদাহৰণ। এনে এটা ল'ৰাকেই তাই ইমান দিন ভাল বন্ধু বুলি ভাবি আহিছিল নে? ছিঃ, নিজৰ ওপৰতে খং উঠিল সন্ধ্যাৰ। অনুৰণৰ নিচিনা ল'ৰা বন্ধুত্বটো বাদেই সাধাৰণভাৱে চিনাকি হোৱাৰো যোগ্য নহয়। প্ৰচণ্ড খঙত আঁতৰি গৈছিল সন্ধ্যা অনুৰণৰ কাষৰ পৰা।

Kaushik

(আগলৈ)

#নিৰিবিলি

Part 42

মানুহক কেতিয়াও দুদিনত চিনিব নোৱাৰি। পৃথিৱীৰ আটাইকৈ টান কামটোৱেই হৈছে মানুহক চিনাটো। সন্ধ্যাৰ খং উঠিছিল, তাই সঁচাকৈ অনুৰণক চিনি পোৱাত ভুল কৰিলে। এটা মদাহী চৰিত্ৰহীন ল'ৰাক তাই ভাল বন্ধু বুলি ভাবিবলৈ লৈছিল। তাৰ লগত কথাও শ্বেয়াৰ কৰিছিল। ছিঃ। ঘিণ লাগিছিল তাইৰ নিজৰ বাছনিলৈ। সঁচাকৈ মানুহ চিনি নাপালে তাই। কথাখিনি যিমানে ভাবিছিল সিমানে অশান্তি লাগি আহিছিল তাইৰ। অসহ্য লাগিছিল তাত ৰৈ থাকিবলৈ। প্ৰগ্ৰেমৰ চিঞৰবোৰো যেন খুব বিৰক্তিদায়ক হৈ উঠিছিল। এটা সময়ত আৰু থিয় হৈ থাকিব নোৱাৰি গুছি আহিছিল তাই। চিঞৰ বাখৰৰ মাজত কোনেও সিমান মন নকৰিলে। কাঞ্চনজংঘাৰ পুলটোৰ ফালে আগবাঢ়িছিল সন্ধ্যা। তাত বহি সেই চিনাকি নাহৰ জোপাৰ বতাহ চাটিত হৈ যেন শান্তি পাব তাই। আগবাঢ়ি গৈ থাকোঁতেই হঠাৎ ফোনটো বাজিলে। মনজিৎ মানে তাইৰ স্কুলীয়া বন্ধু জনে কৰিছিল। সন্ধ্যাই পাহৰিয়ে গৈছিল যে মনজিতে তাইক লগ কৰাৰ কথা কৈছিল। ফোনটো ধৰোঁতেই সি ক'লে,

"সন্ধ্যা ক'ত আছা?"

"মই ৰাস্তাৰ ফালে আহিছিলোঁ মনজিৎ। তুমি?" তাই সুধিলে। উভতি যাবলৈ মন নাছিল সন্ধ্যাৰ।

"মই এই ফালে বাস্কেট বল কৰ্টত। আহা না এইফালে।"

প্ৰকাণ্ড ফিল্ডখনৰ এটা মূৰত কমিউনিটী হলটোৰ সমুখতেই বাস্কেট বলৰ কৰ্টখন। মনজিৎ তাতেই আছে। আকৌ সেই হুলস্থুলবোৰৰ মাজলৈ উভতি যাবলৈ মন নাছিল যদিও মনজিতক লগ পাবলৈকে গ'ল তাই। ইমান দিনৰ মূৰত সি লগ পাব খুজিছে। তাই আঁতৰি আহি অভদ্ৰামি কৰিব নোৱাৰে। গৈ থাকোঁতে আকৌ এটা কথা মনলৈ আহিল সন্ধ্যাৰ। কেনেবাকৈ মনজিতৰ মুখতো যদি তাই মদৰ গোন্ধ পাই? ক'বতো নোৱাৰি। ল'ৰাবোৰৰ কি বিশ্বাসনো? এনেও আজি চবেই সোমৰস টুপি ধৰি নিজকে স্বৰ্গৰ ইন্দ্ৰ বুলিয়ে মানি লৈছে। সন্ধ্যাই দেখিছেও, দুজনমানৰ খোজো ঢলং পলং।

kaushik

গতিকে মনজিতে যে নাখাব কি মানে আছে। কিন্তু লগ যিহেতু কৰিবই লাগিব, সেয়ে দুই এষাৰ কথা পাতিয়েই গুছি আহিব আৰু তাই। বাস্কেট বলৰ কৰ্টত ৰৈ মনজিতলৈ ফোনটো লগাবলৈ লওঁতেই পিছফালৰ পৰা মনজিতে মাতিলেহি তাইক,

"কি খবৰ?"

ঘূৰি চালে সন্ধ্যাই। আগতকৈ বহুত সলনি হ'ল মনজিৎ। ওখ হ'ল, লগতে শকতো। মুখত দাড়িও ৰাখিছে।

"ভালেই দিয়া তোমাৰ কোৱা, বেলেগ হ'লা চোন মানুহটো আগতকৈ।"

তাইৰ কথাত হাঁহি হাঁহি মনজিতেও ক'লে,

"তুমি পিছে একেই ধুনীয়াজনী হৈয়ে আছা।"

সন্ধ্যাৰো হাঁহি উঠিল। লগতে ভালো লাগিল, কাৰণ তাই ভবাৰ দৰে মনজিতৰ মুখত সেই উৎকৎ গোন্ধটো নাই। লগতে ব্যৱহাৰো সম্পূৰ্ণ স্বাভাৱিক। তথাপি এবাৰ নুসুধি নোৱাৰিলে তাই,

Kaushik

"মই আকৌ বাকীবোৰ ল'ৰাৰ দৰে তুমি সোমৰসৰ নিচাতে থাকিবা বুলিহে ভাবিছিলোঁ।"

তাইৰ কথাত মনজিতে হাঁহি হাঁহিয়ে ক'লে,

"নাই নাই হেই, মোৰ সেইবোৰ নচলে।"

ঠিকেই, সকলো ল'ৰাই একে নহয়। সন্ধ্যাৰ বাল্য বন্ধু মনজিৎ। সি এতিয়াৰ বোৰৰ দৰে কেতিয়াও নহয়। মনটো অথনিতকৈ পাতল লাগিছিল তাইৰ। মনজিতে ফিল্ডৰ কাষৰ অস্থায়ী হোটেল কেইখনতে কিবা খাওঁ বুলি লগ ধৰিলে সন্ধ্যাক। তাইৰ ভোক নাছিল যদিও গ'ল। খাই খাইয়ে পুৰণি স্কুলৰ দিনৰ কথা উলিয়ালে সিহঁতে। অলপ সময়ৰ পাছত খাই হোৱাত মনজিতে ক'লে,

"ব'লা ষ্টেজৰ ফালে যাওঁ।"

যাবলৈ মন নাছিল যদিও মনজিতৰ কথাত নাযাওঁ বুলি নক'লে তাই। সিহঁত দুইটা আগবাঢ়িছিল ষ্টেজৰ সোঁফালে। অথনি সন্ধ্যাহঁত য'ত আছিল তাৰ সম্পূৰ্ণ বিপৰীত ফালে। মনজিতৰ লগত গৈ ভিৰৰ মাজত সোমাইছিলগৈ তাই। মাজতে ৰীণা বাকো দেখিছিল। সন্ধ্যাক দেখিয়েই কাষলৈ আহি চিঞৰ এটা মাৰি এপাক নাচিলেহি ৰীণাই।

লগতে সন্ধ্যাইও। তাৰ পাছত আকৌ আঁতৰি গ'ল। মনজিতৰ লগতে থিয় হৈ আছিল সন্ধ্যা।

"কি হ'ল, ৰৈয়ে থাকিবা নে? নাচা আকৌ।" মনজিতে নাচি নাচিয়েই ক'লে। চাৰিওফালে চবেই নিজৰ নিজৰ শৈলীৰে নাচি আছে। কিছুমানে নিচাৰ কোবত এনেই জঁপিয়াইও আছে। কিন্তু সন্ধ্যাই এইবোৰ পশ্চিমীয়া গান এনেও ভাল নাপায়। তাতকৈ বিহু হ'ব লাগিছিল। তেতিয়া তাইক কোনে ৰাখিব পাৰিলে হেঁতেন। তথাপি মনজিতে কোৱাৰ বাবে গানত তাল মিলাই নাচিছিল তাই। লাইটবোৰ অফ হৈ আছিল। খোলা মঞ্চখনৰ পৰা জিলিকি আহিছিল হালধীয়া, নীলা লাইটৰ আভাবোৰ। সেই আভাতে ৰঙীন হৈ উঠিছিল সিহঁতবোৰৰ মুখবোৰো। গোটেই ফিল্ড খনেই যেন এক মায়াপুৰীলৈ সলনি হৈছিল। এনেতে নাচি থকাৰ মাজতে হঠাৎ সন্ধ্যাই দেখিলে তাইৰ কঁকালত মনজিতৰ হাতখন। লগে লগে আঁতৰাই দিলে তাই। সিও একো প্ৰতিক্ৰিয়া নকৰিলে। হয়তো ভুলতে ধৰিছিল সি, তাই ভাবিলে। কিন্তু অলপ সময়ৰ পাছতে আকৌ একেই। এইবাৰ যেন কঁকালৰ পৰা পেটলৈকে আহিছে হাতখন। এইবাৰ আজোৰ মাৰি হাতখন আঁতৰাই কৈ উঠিল সন্ধ্যাই,

"মনজিত প্লিজ, এইবোৰ কৰি নাথাকিবা। গাত নধৰাকৈ নাচিব নোৱাৰা নেকি"

"অহ, চৰী চৰী।" বুলি আকৌ নচাত ব্যস্ত হ'ল সি। সন্ধ্যা তাৰ পৰা কিছু আঁতৰত ৰ'ল। স্পৰ্শৰ অনুভৱ এজনী ছোৱালীয়ে ভালকৈয়ে বুজি পায়। সন্ধ্যাইও বুজি পাইছিল মনজিতৰ স্পৰ্শত থকা কামনাৰ গোন্ধ। তথাপি একেবাৰে আঁতৰি গুছি আহিবলৈ ভাল নালাগিল তাইৰ। কিজানি তাই বেছিকৈয়ে ভাবিছে। কিছু সময় পাৰ হৈছিল। এন্ধাৰৰ সুযোগ লৈ সন্ধ্যাক পিছফালৰ পৰা পেটত আঁকোৱালি ধৰি নিজৰ গাৰ ফালে জোৰকৈ টানি নিলে মনজিতে। খঙত একো নাই হৈ নিজকে মুক্ত কৰি এটা প্ৰচণ্ড চৰ বহাই দিলে সন্ধ্যাই মনজিতৰ গালত। এজনী ছোৱালীয়ে সকলো সহ্য কৰিব পাৰে, কিন্তু আঘাত যেতিয়া সন্মানত লাগে তাৰ প্ৰত্যুত্তৰো আঘাতেৰেই দিব জানে। তাতে সন্ধ্যা এতিয়া আগৰ দৰে দুৰ্বল নহয়।

"কিমান বাৰ ক'ব লাগে হা তোমাক? লাজ নালাগে এইচব কৰিবলৈ? লম্পট ক'ৰবাৰ।" খঙত কঁপিছিল সন্ধ্যাৰ মাতটো। ওচৰত থকা দুই এজনে চাইছিল সিহঁতলৈ। মনজিতলৈ চাই হাঁহিও মাৰিছিল। মনজিৎ আচৰিত হৈছিল। কাৰণ সি যিমান দূৰ জানে এটা ল'ৰাক ৰাজহুৱা ভাৱে চৰিয়াব পৰাকৈ সন্ধ্যা শক্তিশালী নাইবা সাহসী নহয়। সি স্কুলৰ পাছত তাইক লগ পোৱা নাছিল যদিও অন্য লগৰৰ পৰা খা

Kaushik

খবৰ পাই আছিল। তেন্তে? তেজপুৰত এই কেইমাহ থাকোঁতেই তাই এনেকৈ সলনি হ'ল নে? মনজিতক তাতে এৰি সন্ধ্যা খঙেৰে আঁতৰি আহিছিল। নাই তাই এইখনৰ মাজত থাকিব নোৱাৰে আৰু। প্ৰথমে অনুৰণৰ মুখত সেইয়া গোন্ধ তাৰ পাছত মনজিতৰ এইয়া। তাই হোষ্টেলত সোমাব পাৰিলেই যেন বাচিব। প্ৰায় দৌৰি অহাৰ দৰে আহি তাই ৰাস্তাত উঠিলেহি, কাঞ্চনজংঘাৰ আগত। তাৰ পৰাই তাই সোৱণশিৰীৰ ফালে আগবাঢ়িল। Essentialৰ সমুখেৰে পাৰ হৈ গ'লেহে পাবগৈ সোৱণশিৰী। ফিল্ডত প্ৰগ্ৰেম শেষ হোৱাই নাই বাবে বেছি মানুহ ৰাস্তাত নাছিল। কাঞ্চনজংঘা পাৰ হৈ essential পোৱাৰ আগৰ ঠাইখিনিত লাইট নথকাৰ বাবে কিছু আন্ধাৰ হৈ থাকে। Essentialৰ পৰা এটা ক্ষীণ পোহৰ আহি থাকে যদিও সেয়া পৰ্যাপ্ত নহয়। সেইফালেৰে গৈ থাকোঁতেই হঠাৎ পিছফালৰ পৰা কোনোবা এটা দৌৰি আহি আগ ভেটি ধৰিলে সন্ধ্যাক। হয়, সেইটো মনজিতেই আছিল।

"Over react কিয় কৰিছা সন্ধ্যা? Just hug হে কৰিছিলোঁ তোমাক।" মনজিতে ক'লে।

"Over react নহয় মনজিৎ। মই এইবোৰ বেয়া পাওঁ। আৰু চবৰে সন্মুখত এইচব কৰিবলৈ তোমাৰ সাহস কেনেকৈ হ'ল হা?" সন্ধ্যাৰ খং মাৰ যোৱাই নাছিল। তেনেকুৱাতে খুব নিৰ্লজ্জ ভাৱেৰে মনজিতে ক'লে,

"অহ, তাকেই কোৱা। চব আছিল কাৰণে তোমাৰ লাজ লাগিল ন? অকে, ব'লা অলপ সেই আন্ধাৰৰ ফালে যাওঁ। তাত যিমান মন যায় সিমান...."

তাৰ কৈ নহওঁতেই সন্ধ্যাই চিঞৰি উঠিল,

"Shut up মনজিৎ। ছিহ, তুমি এনেকুৱা হ'লা বুলি ভবা নাছিলোঁ। তোমাক স্কুলৰ বন্ধু বুলি লগ কৰিছিলো মই। আৰু তুমি" সন্ধ্যাই কথা কৈ থাকোঁতেই মনজিতে হাতত থাপ ধৰিলে তাইৰ। অশেষ চেষ্টা কৰিও তাই নিজৰ হাতটো মুকলি কৰিব পৰা নাছিল।

"মনজিত অসভ্যালি নকৰিবা। হাত এৰা।"

পাতলীয়া হ'লেও পোহৰত স্পষ্টকৈ দেখিছিল সন্ধ্যাই মনজিতৰ মুখৰ লালসাৰ কদৰ্য ৰূপ। সেই মনজিৎ, যাৰ মুখত মদৰ গোন্ধ নাই বাবে তাই অলপ আগত "ভাল ল'ৰা"ৰ লেবেলটো মাৰি দিছিল। নাই, যিমানেই চেষ্টা কৰিলেও হাতখন এৰুৱাব পৰা নাই সন্ধ্যাই। ঠাইখিনি এন্ধাৰ আৰু মানুহো নাই বাবে কোনেও দেখাও নাছিল সিহঁতক। চিঞৰিলেও এই ডি জেৰ চাউণ্ডত তাইৰ মাত যে কোনেও নুশুনে সেইটো খাটাং।

Kaushik

কিন্তু তেনেতে হঠাৎ ক'ৰবাৰ পৰা এটা দুৰ্জয় ঘোঁচা পৰিলহি মনজিতৰ মুখমণ্ডলত। এনে এটা আক্ৰমণৰ বাবে মুঠেও সাজু নাছিল সি। লগে লগে বাগৰি পৰিল ৰাস্তাতেই। এৰ খাই গৈছিল সন্ধ্যাৰ হাতটো। আচৰিত হৈ ঘূৰি চাইছিল সন্ধ্যাই। তাইৰ কাষতে ৰৈ আছে অনুৰণ। সেইটো অনুৰণ, যাৰ মুখৰ মদৰ গোন্ধৰ বাবে চৰিত্ৰহীনৰ বিশেষণ লগাইছিল তাই অলপ সময়ৰ আগতে। মনজিৎ উঠি থিয় হৈছিল। ঘোঁচাৰ কোবত তাৰ ওঁঠৰ কাষৰ পৰা অলপকৈ তেজো ওলাইছিল। কিন্তু অনুৰণৰ চেহেৰা আৰু মুখত খঙৰ স্পষ্ট চাপ দেখিয়েই হ'বলা মনজিতে প্ৰতিবাদ কৰাৰ সলনি মাত্ৰ ক'লে,

"Excuse me, সন্ধ্যা আৰু মই স্কুলমেট আছিলোঁ।"

"কিন্তু সন্ধ্যা বৰ্তমান মোৰ ক্লাছমেট।" অনুৰণৰ গহীন স্বৰ। মাত্ৰ সেই এটা শাৰীতে বহুত কিবা কিবি যেন সোমাই আছিল। মনজিতে আৰু কিবা ক'বৰ সাহ নকৰিলে। উভতি যাবলৈ লৈছিল সি। তেনেতে অনুৰণে আকৌ মাতিলে,

"আৰু শুন, next time যদি কোনোবা ছোৱালীৰ লগত এইচব কৰা দেখোঁ, হোষ্টেলৰ ল'ৰা লগাই এনেকুৱা অৱস্থা কৰিম যে হস্পিতেলো নাপাবিগৈ। আলহী হৈ আহিছ, techxetra চা, আৰু যা।"

তলমূৰকৈ কথাকেইটা শুনি সুৰসুৰকৈ আঁতৰি গৈছিল মনজিত। সন্ধ্যাই অনুৰণৰ চকুত কাহানিও নেদেখা এটা গহীনতা দেখিছিল, চকু কেইটা যেন জ্বলিহে আছিল। মুখত কিন্তু এতিয়াও সেই গোন্ধটো।

"ব'লা তোমাক হোষ্টেলত থৈ আহোঁ।" গহীন সুৰেৰেই অনুৰণে কৈছিল তাইক।

"নালাগে, মই পাৰিম।" সন্ধ্যাই এতিয়াও সহজ ভাৱে ল'ব পৰা নাই তাক। সহজ ভাৱে ল'ব পৰা নাই মুখৰ গোন্ধটোক। কিন্তু অনুৰণে আৰু একো নুশুনি একো নকৈ তাইক হাতটোত ধৰি লৈ গৈছিল সোৱণশিৰীৰ ফালে। সন্ধ্যাও যেন বাধ্য হৈ গৈ আছিল তাইৰ লগে লগে। বাধা দিব পৰা নাছিল তাই। অনুৰণৰ হাতৰ স্পৰ্শত আগৰ দৰে আলফুল পৰশটো নাছিল। কিন্তু মনজিতৰ দৰে কামনাও নাছিল তাত। সেইবোৰৰ সলনি আছিল, এক কঠিনতা। যেন এক ভৰসা, কেতিয়াও কোনেও ভাঙিব নোৱাৰা যেন এক প্ৰগাঢ় বিশ্বাসৰ পৰশ। সিহঁত গৈ সোৱণশিৰী পালেগৈ। হাতখন এৰি দিলে অনুৰণে। মুখেৰে টু শব্দ এটাও নোকোৱাকৈ সন্ধ্যা ভিতৰলৈ যাবলৈ লওঁতে অনুৰণে মাত দিলে,

Kaushik

"শুনা" মাতটোত এতিয়া সেই গহীন ভাৱটোৰ সলনি আছে পুৰণি শান্ত আকুলতা। সন্ধ্যা ৰৈ গ'ল যদিও মুখেৰে একো মাত নিদিলে। শান্ত স্বৰেৰে অনুৰণে কৈ গৈছিল,

"মই বুজিছোঁ, মোৰ মুখত মদৰ গোন্ধ পাইয়ে তুমি এনেকুৱা কৰিছা। অঁ মই মদ খাওঁ। আজি প্ৰথম খোৱা নাই, তুমি জানাই মই মেট্ৰিক পাছ কৰাৰ পৰাই হোষ্টেলত আছোঁ। গতিকে তেতিয়াৰ পৰাই লগৰৰ লগত মাজে মাজে খাওঁ আৰু আগলৈও খাম। কিন্তু সন্ধ্যা, মই মদহে খাওঁ, মদে মোক নাখাই। আজিলৈকে কোনেও ক'ব নোৱাৰিব যে মদ খাই মই কিবা মাতলামি কৰিছোঁ। লগৰ চবেই খাই কাৰণে খাওঁ আৰু একেদৰেই থাকোঁ। তাৰ পাছতো যদি তোমাৰ মতেৰে মই বেয়া ল'ৰা, তেন্তে ঠিকে আছে।"

কথাকেইটা কৈয়ে সি ৰোৱা নাছিল তাত। খৰ খোজেৰে উভতি গৈছিল। সন্ধ্যাই প্ৰথম লগ পোৱাৰ পৰা আজিলৈকে ইমান খিনি কথা অনুৰণে একেলগে কোৱা তাই কেতিয়াও শুনা নাই। আজি মাত্ৰ তাই ভুল বুজাৰ বাবেই সি ক'লে কথাখিনি। মাতটোত বিশ্বাসৰ সুৰো নিহিত আছিল।

এখোজ দুখোজকৈ ৰুম পালেগৈ সন্ধ্যা। কাপোৰ সলাই হাত মুখ ধুই বিচনাত পৰিল তাই। ৰুমৰ লাইটটো অফ। খিৰিকীখন খোলা। খিৰিকীৰ ফাঁকেৰে এবাৰ বাহিৰলৈ চালে। ডাৱৰ এটুকুৰাৰ আঁৰত লুকাই আছে জোনটো। তেজপুৰৰ জীৱনে বহু কথাই শিকালে সন্ধ্যাক। আজিও শিকালে এটা নতুন কথা। হয়, মদ স্বাস্থ্যৰ কাৰণে নিশ্চয় হানিকাৰক। কিন্তু কাৰোবাৰ মুখৰ মদৰ গোন্ধই তেওঁৰ চৰিত্ৰৰ চাৰ্টিফিকেট হ'ব নোৱাৰে। কেতিয়াও নোৱাৰে।

ৰাতি কিছু গভীৰ হৈছিল। প্ৰগ্ৰেমৰ পৰা আহি ভাগৰত বিদিশা টোপনি গ'ল সোনকালেই। কিন্তু সন্ধ্যাৰ চকুলৈ টোপনি অহা নাছিল। প্ৰথমে মনজিতৰ কথা ভাবিছিল তাই। স্কুলততো এনেকুৱা নাছিল সি। মানুহ এনেকৈও সলনি হ'ব পাৰে নে? সময়ৰ লগে লগে মানুহৰ ব্যৱহাৰ সলনি হ'ব পাৰে, ৰূপ সলনি হ'ব পাৰে, কিন্তু চৰিত্ৰ? চৰিত্ৰও সলনি হয়নে? তাৰ পাছতে অনুৰণৰ কথা কেইটা মনত পৰিল সন্ধ্যাৰ। লগতে নিজলৈকে খং উঠিল। কি এক মানসিকতা লৈ জীয়াই আছিল তাই ইমান দিনে। অনুৰণকো এইদৰে তাই কেনেকৈ ভাবিব পাৰিলে। কথাবোৰ ভাবি থাকোঁতেই অভিমন্যুৰ ফোন আহিল,

Kaushik

"কি হ'ল মানে তোৰ? ঘপকৈ গুছি গ'লি যে? বিচাৰি আছিলোঁ। প্ৰিয়াই ক'লে তই হোষ্টেল গ'লি।"

সন্ধ্যা অলপ আচৰিত হৈছিল। তাই প্ৰিয়াকতো হোষ্টেল যাওঁ বুলি কোৱা নাছিল। তথাপি সেইটো ভাবিবলৈ এৰি অভিমন্যুক বাকী গোটেই কথাখিনি খুলি ক'লে সন্ধ্যাই। অনুৰণৰ মুখৰ সেই গোন্ধটোৰ পৰা মনজিতৰ মুখৰ অশ্লীল ইংগিতলৈকে। শেষত শান্ত মাতেৰে বুজালে সি,

"চা সন্ধ্যা, মই আজি মদ নাখাওঁ। খাই পোৱা নাই। কিন্তু তাৰ অৰ্থ এইটো নহয় যে কেতিয়াও নাখাম। হয়তো কেতিয়াবা লগৰবোৰৰ লগত খাবও পাৰোঁ। কিন্তু মদটো খালেই জানো এটা মানুহ বেয়া হৈ যাব পাৰে কচোন। মই মদ খাই য'ত ত'ত উৎপাত কৰি ফুৰা, মাতলামিৰ কোবত ক'ব নোৱাৰা হোৱা নাইবা দেইলি মদৰ বটল খোলা কেইটাৰ কথা কোৱা নাই। কিন্তু কোনোবা এদিন অলপ খালেই কোনোবা চৰিত্ৰহীন হৈ নাযায়।"

"এতিয়া বুজিছো অ'। বেয়াও লাগিছে অনুৰণলৈ।" তাই ক'লে।

"একো নাই দে। সি বুজিব। তই এবাৰ বুজাই কৈ দিবি তাক। তাতে তোক আজি সেই অসুৰটোৰ পৰা বচালেও সি আজি। মইতো একো গমেই নাপাওঁ।" অভিমন্যুয়ে কথাখিনি কৈ ফোনটো থ'লে।

হয়, ঠিকেই কৈছে সি। অনুৰণে তাইক সহায় কৰাৰ পাছতো তাই এষাৰো মাত নিদিয়াটো সঁচাই বেয়া হ'ল। ভুল আচলতে তাইৰো নহয়। ভুল "ভাল" নাইবা "বেয়া"ৰ সংজ্ঞা নিৰূপন কৰি দিয়া এই সমাজখনৰ। মদ খালেই ল'ৰাটো বেয়া, অভদ্ৰ, চৰিত্ৰহীন এইবোৰ উপনাম সমাজেই নিদিয়ে জানো? তাইওতো সৰুৰে পৰা এইবোৰ শুনি শুনিয়েই ডাঙৰ হৈছে। কিন্তু পোহৰত ভদ্ৰতাৰ মুখা পিন্ধি আন্ধাৰত অসুৰৰ ৰূপ লোৱা মনজিতৰ দৰে মানুহবোৰৰ ক্ষেত্ৰত কিন্তু এই সমাজখন নিমাত। অনুতাপত সন্ধ্যাই শেষত তালৈ মেচেজকে টাইপ কৰিলে,

"Xula nki Ran?"

কিছু সময় একো নাই। না seen হৈছে। তাৰ পাছতেই সি দিলে,

"Nai, kua"

"Sorry" তাই দিলে।

"Eku nai dia" বুলি সি দিলেও তাই যেন আশ্বস্ত হোৱা নাছিল। আকৌ দিলে,

"Tumi beya paisa?"

"Nai pua o, tumak buji pau" অনুৰণে দিলে। সন্ধ্যাৰ মনটো পাতল লাগিল।

"Aru thanks.. tumi xomoyot noha hole sage ki j hol hoi aji"

"Eku nai, moi asu tu" অনুৰণৰ আশ্বাস আৰু তাইৰ সাহ। মেচেজত দিলেও "মই আছোঁতো" কথাখিনি যেন সন্ধ্যাই তাৰ মাতটোত শুনা পাইছে।

দুই এটা কথা পাতি মোবাইলটো থৈ টোপনিত পৰিল সন্ধ্যা। এটা দীঘল উশাহ। ডাৱৰৰ মাজৰ পৰা ওলাই জোনটো যেন খিৰিকীৰ কাষৰ কাঞ্চনজোপাত ওলমি ৰৈছিল। কাষৰ কাৰোবাৰ ৰুমত এতিয়াও হুলস্থুল। স্পীকাৰত ফুল ভলিউমত লগাই থোৱা "মন যায়"ৰ কলিটো কাণত পৰিলহি সন্ধ্যাৰ।

"মোৰ খোজৰ বাটত ছাঁয়া নামে,

তুমি পোহৰ দিয়া সাহনো বাঢ়ে..

মন যায়

মন যায়

মন যায়......."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 43

আজি দেওবাৰ। Techxetra ৰ অন্তিম দিন। কাইলৈৰ পৰা আকৌ স্বাভাৱিক হ'ব জীৱন। আজিয়েই এবছৰৰ জোখাৰে স্ফুৰ্তি কৰি ল'ব যেন সকলোৱে। ৰাতিপুৱাৰ পৰা Treasure hunt জাতীয় কিবা খেলো হৈ আছিল। আজি ৰাতিলৈ বলিউদৰ শিল্পী অদিতি সিং শৰ্মাৰ গীতৰ অনুষ্ঠান আছে। ৰাতিপুৱাৰে পৰাই সকলোতে বিশেষকৈ গাৰ্লচ হোষ্টেলবোৰতো তাৰেই প্ৰস্তুতি। কোনোবাই যদি লগৰ কেইজনীৰ লগত কোন যোৰ কাপোৰ পিন্ধিব তাৰ বাছনি কৰিছে, কোনোবাই আকৌ বাইক থকা কাৰোবাক খাটনি ধৰি বিউটী পাৰ্লাৰলৈ ওলাইছে। মুঠৰ ওপৰত চাৰিওফালে দৌৰা দৌৰি। কাৰো সময় নাই। সন্ধ্যা

শোৱাৰ পৰা উঠিয়েই দেখিছে বিদিশা নাই। অলপ সময়ৰ পাছত আহিছে মূৰতে পলিথিন এটা মাৰি। হেনা কৰিছে বোলে। বাথৰুম এটাও খালী নাই। সন্ধ্যাৰ খঙেই উঠিল। হ'ল বুলি এই জাক আজি গোটেই দিনটো বাথৰুমতেই থাকিব নে কি? উপায় নাপাই সন্ধ্যা বাল্টিঙতে চাবোন চেম্পু ভৰাই ৰীণা বা হঁতৰ উইং পালেগৈ। যদিও বেলেগ উইঙত গৈ গা ধোৱা মানা, তথাপি Assistant প্ৰিফেক্টৰ ৰুমমেট বুলিয়েই সন্ধ্যাক যে মুখৰ আগত কোনেও একো নকয় তাই জানে। পিছে সেইটো উইঙতো প্ৰায় একেই। কেৱল এটা বাথৰুমত লক কৰা নাই। দৰ্জাখন আধা খোলা হৈ আছে। কোনো নাই বুলি দৰ্জাখন খুলি সোমাই গৈয়েই সন্ধ্যাই "ঔ মা" চিঞৰ মাৰি ওলাই আহিল। পিছে পিছে সেই অদ্ভুত প্ৰাণীটো। অদ্ভুতেইতো। মুখখনত এগাল মান বগা কিবা সানি দেখাৰ ভূতৰ দৰে হৈ আছে। তাতে বাথৰুমৰ লাইটটোও অফ। কোনে ভয় নাখাব।

"হেই মৰতীজনী, মইহে। কেলে চিঞৰি মৰিছ।"

মাতটোতহে সন্ধ্যাই চিনি পালে, এইজনী ৰীণা বা। হে ভগৱান, কি ৰূপ লৈ আছে বাৰু এই।

"বা, কি মানে এইবোৰ?" সন্ধ্যাই সুধিলে।

"পেষ্ট আকৌ দেখা নাই। তোৰ নিচিনাকে আমি জন্মগত ধুনীয়া নহয়তো। সেই কাৰণে এইসোপা লেপিব লাগে। তাতে আজি ৰাতি প্ৰগ্ৰামো আছে আকৌ। যা যা, গা ধো গে।" বুলি ৱেচিনৰ ফালে গ'ল ৰীণা। সন্ধ্যা আচৰিত হ'ল কাৰবাৰ দেখি। এই Techxetra টোৰ নামতে ছোৱালী মখা শেষ আৰু। ভোৰভোৰাই সন্ধ্যা বাথৰুমত সোমাল।

"কি নো মানে তই? কালিও নগ'লি এবাৰো। আজি নাযাঁৱ যদি চাবি কিন্তু।" দুপৰীয়া ভাত খাই আহি পাটকাইৰ আগফালৰ খালী বননি খিনিতে বহি থকা ময়ূঁৰক কৈ আছিল অভিমন্যুয়ে। ময়ূঁৰৰ কোঁচত এটা সৰু কুকুৰ পোৱালি। পাটকাইৰ এই ঠাইখিনি ৰ'দ লৈ বহিবলৈ বৰ ধুনীয়া। হোষ্টেলটোৰ সমুখতে মূল প্ৰৱেশ পথৰ দুয়োফালে কাষৰ বহল বননি। মাজে মাজে কাঞ্চনৰ সৰু সৰু পুলি বোৰ। গোটেই ঠাইখিনিত দিনটো ৰ'দ পৰি থাকে বাবে কোনোবাই তুলীও ৰ'দাইহি। ইয়াত বহাৰ আন এটা সুবিধা হৈছে সমুখৰ নিউ ৱমেনছলৈ অহা যোৱা কৰা ছোৱালী কেইজনীকো চাই থাকিব পাৰি। অভিমন্যু আৰু তাৰ পাৰ্টনাৰ দুটা মান কেতিয়াবা এইটোৰ বাবেই বহেহি ইয়াত, পিছত দেৱা দাৰ ধমক খাই ভিতৰলৈ দৌৰে। এতিয়া পিছে সি ময়ূঁৰৰ

Kaushik

লগতহে আহিছিল। এই ময়ূঁৰ ল'ৰাটোক সি কেতিয়াবা সঁচাকৈ বুজি নাপায়। গোটেই ইউনিভাৰ্চিটী য'ত Techxetraৰ বতাহত বলিয়া হৈ আছে, ৰাতি ডি জে নাইটত ৰঙীন হৈ আছে, এই ময়ূঁৰেই চাগে একমাত্ৰ প্ৰাণী যি হয় পাটকাইৰ ছাদত নি কুকুৰ পোৱালি এটাক বিস্কুট খোৱাব নহ'লে লাইব্ৰেৰীত কিবা উপন্যাসৰ মাজত ডুবি থাকিব। কালি ডি জে নাইটলৈ বাৰে বাৰে জোৰ কৰাৰ পাছতো সি নগ'ল। কিন্তু আজি ইয়াক অভিমন্যুয়ে নেৰে। মূঠতে সি যাবই লাগিব।

"ঐ, একো নক'লি যে? যাবিতো?"

মুখেৰে নামাতা দেখি আকৌ সুধিলে অভিমন্যুয়ে।

"মোৰ এইবোৰ ভাল নালাগে অ' অভি।" বিৰক্তিৰে ময়ূঁৰে ক'লে।

"তই গ'লেহে ভাল লাগিব। মূঠতে আজি নগ'লে তোক নামাতো আৰু মই। আৰু মইও নাযাওঁ।" খঙেৰে কথাখিনি কৈ ময়ূঁৰৰ কাষতে বহিল অভিমন্যু। এনেতে হোষ্টেলৰ পৰা ওলাই আহি অনুৰণো সেইখিনি পালেহি।

"কি হ'ল অভিমন্যু? ক'লৈ নোযোৱা।"

অনুৰণৰ কথাত ময়ূঁৰৰ অভিযোগ দিলে অভিমন্যুয়ে। অনুৰণে জানে, ময়ূঁৰক নিজৰ ভায়েকৰ দৰে মৰম কৰে অভিমন্যুয়ে। সেয়েহে তাৰ নিৰাসক্ত জীৱন যাপনটোত অলপ হ'লেও ৰং সানিবৰ চেষ্টা কৰে। কিন্তু আত্মবিভোৰ ময়ূঁৰৰ একোৰে প্ৰতিয়ে যেন ভ্ৰুক্ষেপ নাই।

"ঐ, ক না। যাবি নে?" অভিমন্যুয়ে আকৌ তাক জোকাৰি দিলে। কোঁচৰ পৰা কুকুৰৰ পোৱালিটো এৰি দি আকৌ বিৰক্তিৰে ক'লে সি,

"বৰ কামুৰিব পাৰ অ'"

এনেতে হোষ্টেলৰ দুৱাৰৰ মুখৰ পৰা কোনোবা এটাই চিঞৰিলে,

"অভিমন্যু, মোৰ চাৰ্টটো ইস্ত্ৰি কৰি দে হি না।"

এইটো হয় দেৱা দা, নহয় সেই বিশ্বজিৎ। কাকো না নোকোৱা স্বভাৱটোৰ বাবে সকলোতে ফচেঁগৈ সি। "তই নগ'লে চাবি" বুলি আকৌ এবাৰ ময়ূঁৰক কৈ উঠি গ'ল অভিমন্যু। ময়ূঁৰৰ কাষত বহি ৰৈছিল অনুৰণ।

Kaushik

"যাবা নাই আজি?" অনুৰণে সুধিলে। তাৰ লগত অনুৰণৰ বৰ বিশেষ কথা পতা নহয়। অকল অনুৰণ বুলিয়ে নহয়, অভিমন্যুৰ বাহিৰে আন কাৰোৰে লগত বিশেষ একো কথা নাপাতেই ময়ূঁৰে।

"মন নাই অ'।" অনুৰণৰ প্ৰশ্নত চিঙি থকা বন খিনি দলিয়াই ময়ূঁৰে ক'লে।

"কেতিয়াবা আমাৰ মন নাথাকিলেও আমাক ভালপোৱা মানুহবোৰৰ বাবেই কিছুমান কাম কৰিব লাগে ময়ূঁৰ। চাই লোৱা কি কৰা।"

শান্ত ভাৱে কথাটো কৈ উঠি গৈছিল অনুৰণ। ময়ূঁৰে চাই ৰৈছিল সি যোৱাৰ ফালে। দুপৰৰ বেলিটো পশ্চিমৰ ফালে ঢাল খাইছিল ক্ৰমশঃ।

এন্ধাৰ হোৱাৰ লগে লগেই ভিৰ বাঢ়ি আহিছিল ফিল্ডত। ঠিক আঠ বজাৰ পৰাই আৰম্ভ হ'ব প্ৰগ্ৰাম। তেজপুৰ ইউনিভাৰ্চিটীত বেলেগ ঠাইৰ দৰে আঠ বজাটো গৈ দহ বজা নহয় কেতিয়াও। সময়ৰ ক্ষেত্ৰত ভাবিব নোৱাৰা ধৰণে কঠোৰ ইয়াৰ প্ৰশাসন। আঠ বজাতকৈ যদি দেৰি হ'ল অদিতি সিং শৰ্মা কি আন কোনোবা আহিলেও লাভ নাই। আৰু তেনেকৈ শেষো একদম দহ বজাৰ লগে লগে হ'বই লাগিব। এক ছেকেণ্ডৰো ইফাল সিফাল নহ'ব। অভিমন্যুহঁতৰ লগৰ গোটেইখিনিয়েই একেলগে এটা সময়ত ফিল্ডত লগ হোৱাৰ কথা। কালিৰ সন্ধ্যাৰ লগত হোৱা ঘটনাটোৰ পৰাই সিহঁতৰ মাজত ঠিক হৈছিল, কোনো অকলে ক'লৈকো নাযায়। গ'লেও কাৰোবাক লগত লৈ যাব। ইয়াত এতিয়া অকল তেজপুৰ ইউনিভাৰ্চিটীৰে মানুহ নাই। অসমৰ বিভিন্ন ঠাইৰ বাহিৰেও ভাৰতৰো বিভিন্ন প্ৰান্তৰ পৰা মানুহ আহিছে। গতিকে সাৱধান হোৱাটো ভাল।

অভিমন্যুৱে আশা কৰা নাছিল যদিও ময়ূঁৰো ওলাল আজি। নিজৰ মন নাথাকিলেও অভিমন্যুৰ বাবেই যে সি ওলাইছে সেয়া তাৰ মুখৰ বিৰক্তিতে প্ৰকাশ পায়। তথাপি আহিল যে। ময়ূঁৰ আৰু বিশ্বজিতৰ লগত আহি নীলাচলৰ সমুখত ৰ'লহি অভিমন্যু। ৰাজদ্বীপ আৰু আৰিফ আহি আছে। অনুৰণ তাৰ লগৰ বোৰৰ লগত আছে। অলপ দেৰিকৈহে আহিব হেনো। ফোন কৰিব। ছোৱালীবোৰৰ ভিতৰত পৰী, সীমা, জুৰি আৰু নিমিষা আহি বাস্কেট বল কৰ্টত ৰৈছেহি। সন্ধ্যাৰ ওলাই হোৱা নাই বাবে প্ৰিয়াও অহা নাই। একেলগেই আহিব। এসময়ত অভিমন্যুহঁতো ফিল্ডলৈ নামি সীমাহঁতৰ লগ হ'লগৈ। ছোৱালীকেইজনীক আজি যেন ধৰিবই পৰা নাই। কোনোবাই ফ্ৰক, কোনোবাই লেগিংছ ইত্যাদি। পৰীয়ে চৰ্ট ফ্ৰক এটা পিন্ধিছে। মুখত উগ্ৰ প্ৰসাধন।

Kaushik

"অভিমন্যু, lets take a selfie" বুলি তাক লৈ ছেলফি এখন উঠিলে পৰীয়ে।

"ঐ অভিমন্যু, দেখকহি ৰ সন্ধ্যাই দিব মজা।" জুৰিৰ কথাত হাঁহি উঠিল সকলোৰে। পিছে আমাৰ সন্ধ্যা ৰাগিনীৰ অহাই নাই। জুৰিয়ে কোৰাৰ পাছতে নিমিষাই এফালে আঙুলি টোৱাই চিঞৰিলে,

"সৌৱা সন্ধ্যা আৰু প্ৰিয়া।" ৰাস্তাৰ পৰা সিহঁতৰ ফালেই আহি আছিল সন্ধ্যাহঁত। এটা দীঘল ফ্ৰক পিন্ধিছে সন্ধ্যাই। দীঘল মানে প্ৰায় চুঁচৰি যোৱা। ফ্ৰকটোৰ পৰা তলৰ ভৰিৰ পতাও দেখা নাপায়। মাখন ৰঙৰ ফ্ৰকটোৰ হাতকেইটা আছে যদিও নেটৰ। সোঁফালে বুকুৰ ওচৰতে এটা ৰূপালী ৰঙৰ টুকুৰা এটাৰ ডিজাইন। কঁকালটোতো এটা ৰূপালী ৰঙৰ পাক। তললৈকে কোঁচ কোঁচ থকা ফ্ৰকটোত থকা সৰু সৰু ৰূপালী কণিকাবোৰৰ বাবে পোহৰ পৰি জিলিকি আছে। চুলিখিনি মেলি আহিছিল সন্ধ্যাই। তাইৰ চুলিখিনি একেবাৰে চুটি নহয় একেবাৰে দীঘলো নহয়, জোখৰ। অলপ চুলি অলকাৰ দৰে পৰি আছিল কপালৰ আগেৰে। মুখত পাতলকৈ প্ৰসাধন। ওঁঠত পাতল ৰঙৰ লিপষ্টিক। সন্ধ্যা এনেও ধুনীয়া। তাতে আজিৰ এই ৰূপত অকল অভিমন্যুকে ধৰি সিহঁত ল'ৰাবোৰেই নহয় ছোৱালী কেইজনীয়েও ঘূৰি ঘূৰি চাইছিল। অভিমন্যুয়ে তাৰ স্বভাৱজাত ভংগীমাৰে সন্ধ্যাৰ কাষলৈ গৈ সুৰেৰে গাইছিল,

"Tere sath sath eisa koi noor aya he,

Chand teri roshni ka halka sa ek saya he.....

Ankho mei teriii"

লগে লগে এফালে জুৰি, সীমা, নিমিষা আৰু আনফালে ৰাজদ্বীপ, বিশ্বজিত, আৰিফহঁতৰ চিঞৰ আৰু উকিত কঁপি উঠিছিল ঠাইখিনি। আৰম্ভ হৈ গৈছিল জোকোৱাবোৰ।

"অভিমন্যু, ভাল চান্স আজি। কৈয়ে দে আৰু।"

"সন্ধ্যা, দেখিলিতো। আমি ক'লে তই নামান নহয়।"

"ৱাহ, কি প্ৰেম। দেখিয়েই গান ওলাই গৈছে।"

অভিমন্যুয়ে হাঁহিৰে উৰাই দিয়াৰ পৰিৱৰ্তে লাজত ৰঙা পৰিছিল সন্ধ্যা। মুখত লাগি আছিল আহোঁ আহোঁকৈ থকা হাঁহিটো।

গোটেইবোৰ গোট খোৱাৰ লগে লগে ছেলফিৰ পৰ্ব আৰম্ভ হৈ গৈছিল। এনেতে ষ্টেজত ক'লা ৰঙৰ চুটি ফৰ্ক পিন্ধা ছোৱালী জনীয়ে এক বিশেষ সুৰত announcement কৰিছিল,

Kaushik

"Are you all excited for the final performance of the night? Are you all ready to get dazzled by her tunes? Are you all ready to dance and jump in the air? Are you guys not excited?!!

OFCOURSE you all are, we all are for her!!

TEZPUR UNIVERSITY, please, Welcome Aditi Singh Sharmaaaaaaa"

লগে লগে এজাক চিঞৰেৰে জীপাল হৈছিল ফিল্ডখন। সিহঁত গোটেই কেইটা গৈ ষ্টেজটোৰ ওচৰ পালেগৈ। announcementৰ লগে লগে ফিল্ডত সিচঁৰিত হৈ থকা সকলো ষ্টেজৰ কাষ চাপি আহিল। ফিল্ডৰ লাইটবোৰ অফ হৈ গ'ল। জ্বলি ৰৈছিল ষ্টেজৰ আকৌ ৰঙা নীলা পোহৰ বোৰ। পোহৰবোৰত ফিল্ড খনৰ কুঁৱলীবোৰো যেন ৰঙীন হৈ পৰিছিল। যেন ৰঙা, নীলা ধোঁৱাহে উৰিছে। মাজে মাজে লেইজাৰ লাইট। তাৰ মাজতেই মঞ্চত উঠিছিল বলিউদৰ প্ৰখ্যাত শিল্পী অদিতি সিং শৰ্মা। উঠিয়েই সকলোকে সম্বোধন কৰি চিঞৰিছিল তেখেতে,

"Hellow Tezpur University"

লগে লগে আকৌ এজাক প্ৰাণোজ্জ্বল চিঞৰে কঁপাই তুলিছিল ইউনিভাৰ্চিটীৰ আকাশ বতাহ। প্ৰত্যেকজন তেজীয়ানৰ হেঁপাহ, আৱেগ সকলো প্ৰকাশ পাইছিল চিঞৰবোৰৰ মাজেৰে। আৰম্ভ কৰিছিল এটা জনপ্ৰিয় গানেৰে,

"Main tenu samjhawa kii....."

গীতৰ তালে তালে দুলি আছিল সকলো।

এবাৰত অনুৰণো আহি অভিমন্যুহঁতৰ লগ পালেহি। সন্ধ্যালৈ চাই এবাৰ হাঁহি হাতখন দাঙি বিশেষ ভংগীমাৰে ক'লে সি, "ৱাহ"। হাঁহিছিল সন্ধ্যাইও।

আৰম্ভ কৰিছিল আন এটা ৰোমান্টিক গান। অনুৰণে বিৰক্তিৰে ভোৰভোৰাইছিল, "ধুৰ, অকল ৰোমাঞ্চ।" হাঁহি উঠিছিল সন্ধ্যাৰ তাৰ মুখৰ ভাঁজ দেখি। এইবাৰ সন্ধ্যাৰ হাতটো ধৰি জুৰিয়ে অভিমন্যুৰ হাতত দিছিল। গোটেই কেইটাই বেৰি ধৰিছিল সিহঁতক "নাচ নাচ" বুলি। অভিমন্যুয়ে এটা হাতেৰে সন্ধ্যাৰ কঁকালত আৰু আনটোৰে সন্ধ্যাৰ এটা হাতত ধৰিছিল। সন্ধ্যাৰ সিটো হাত আছিল তাৰ বাহুত। সীমাই মোবাইলেৰে ভিডিঅ' কৰি আছিল। বাকীবোৰে হাত চাপৰি আৰু উকিৰে উচ্ছাস যোগাইছিল। গানৰ তালে তালে দুলি আছিল অভিমন্যু আৰু সন্ধ্যা। ষ্টেজত অদিতি সিঙে গাই আছিল,

"Tum se hi din hota he,

Kaushik

Surmayi shaam aati he,

Tum seee hii....."

নাচি থাকোঁতেই এবাৰত অনুৰণৰ চকুত চকু পৰিছিল সন্ধ্যাৰ। কিছু আঁতৰত ৰৈ সিহঁতলৈকে চাই আছে সি। তাই চোৱাৰ লগে লগে হাতৰ বুঢ়া আঙুলিটো তৰ্জনী আঙুলিটো মূৰত লগাই বাকীকেইটা আঙুলি থিয় কৰি বিশেষ ভাঁজ এটা দি হাতখন দাঙি হাঁহিলে সি। (👌) মুখৰ সেই শান্ত হাঁহিটো। সন্ধ্যাইও মিচিকিয়াইছিল। হাঁহিৰ আঁৰৰ কাহিনীবোৰতো কমল নগৰৰ চন্দনেও বুজা নাছিল, আজলী সন্ধ্যাই কিদৰে বুজিব।

"so lovely couple" সীমাই কোৱা কথাষাৰত সন্ধ্যাই লাজত মূৰটো গুজি দিছিল অভিমন্যুৰ বুকুত।

"Oye hoyeeee" লগে লগেই গোটেই কেইটাৰ আকৌ চিঞৰ।

Kaushik

এনেদৰেই এটাৰ পাছত এটাকৈ গান শেষ হৈছিল। আৰু শেষত গাইছিল অদিতি সিঙৰ ছুপাৰহিট গানটো,

"Sooraj Dooba Hai Yaaron

Do Ghoont Nashe Ke Maaro

Raste Bhula Do Saare Gharbaar Ke

Sooraj Dooba Hain Yaaron

Do Ghoont Nashe Ke Maaro

Gham Tum Bhula Do Saare Sansaar Ke....."

লগে লগেই অধিক প্ৰাণ পাইছিল উঠিছিল যেন দৰ্শকে। আনবোৰৰ লগতে অনুৰণেও জঁপিয়াই উঠিছিল। সন্ধ্যাইও নাচি আছিল সকলো পাহৰি। অভিমন্যুয়েতো এবাৰত ক'ব নোৱাৰা হৈ ময়ূঁৰকে ওপৰলৈ দাঙি লৈছিল। কোনে কেনেকৈ নাচিছে হিচাপ নাই, মুঠতে নাচিব লাগে। চিঞৰবোৰৰ লগতে এনিশাৰ বাবে যেন প্ৰত্যেকজন তেজীয়ানে পাহৰি গৈছিল Presentation, assignment ৰ প্ৰেছাৰ, 90% attendance ৰ বিৰক্তি। জীৱনটো যেন আজিৰ বাবে ৰঙীন সকলোৰে, যাক উদযাপন কৰিছে সিহঁতে প্ৰাণ ভৰি। দুখ, যন্ত্ৰণা, হতাশা সকলো পাহৰিছিল সকলোৱে। হয়, এইয়াই Techxetra, তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰত্যেক জন শিক্ষাৰ্থীৰে বুকুৰ আপোন Techxetra, প্ৰতিজন তেজীয়ানৰ আৱেগ Techxetra, ইঞ্জিনিয়াৰিঙৰ প্ৰতিজন শিক্ষাৰ্থীৰ কষ্টৰ ফল Techxetra। কাঞ্চনৰ নগৰীৰ স্বাভিমান

Techxetra। সকলোৰে মনত এটাই ভাৱ, এই ৰাতি যেন শেষ নহওঁক। ৰৈ যাওঁক সময়। শেষ হ'লেই যে আকৌ এবছৰৰ বাবে ৰ'ব লাগিব। যিসকলৰ এইবাৰেই শেষ বছৰ তেওঁলোকে মন ভৰি নাচি লৈছিল। বাকীবোৰে বাৰু বছৰে বছৰে পাই থাকিব Techxetra। কিন্তু নিয়তিয়ে সকলোৰে অজ্ঞাতে ক'ৰবাত কুটিল হাঁহি মাৰিছিল। কাৰণ অহা চাৰি বছৰত সলনি হ'বলৈ গৈ আছে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইতিহাস।

প্ৰায় দহ বজাত শেষ হৈছিল প্ৰগ্ৰাম। সেমেকি পৰিছিল উচ্ছ্বাসবোৰ। থমকি ৰৈছিল হেঁপাহবোৰ। কষ্টবোৰে যেন এতিয়াহে ভাগৰুৱা কৰিছিল সকলোকে। এবছৰৰ বাবে আকৌ শেষ হৈছিল Techxetraৰ মাদকতা। কুঁৱলীৰ মাজতো ঘৰ্মাক্ত দেহে হোষ্টেললৈ উভতিছিল সকলো। ফিল্ডখন ছঁন পৰি ৰৈছিল।

হোষ্টেলত আহি পাইয়ে ভাত খাই লৈ ভাগৰত কাপোৰ সলাই মুখ হাত ধুইয়ে সন্ধ্যা ঢলি পৰিল বিচনাত। নাচি বাগি চিঞৰি ভাগৰো লাগিছিল যথেষ্ট। নিশা প্ৰায় দুই নে তিনি বাজিছিল। হঠাৎ সাৰ পালে তাই কিবা শব্দ এটাত। ভালকৈ মন দিয়াত শুনিলে কোনোবা ছোৱালীৰ কান্দোনৰ উচুপনিৰ শব্দ। কোন হ'ব পাৰে। নাচি নাচি ভাগৰুৱা হৈ প্ৰত্যেকজনী ছোৱালীয়েই এতিয়া নাক বজাই আছে। গোটেই হোষ্টেলত কাৰো সাৰ সুৰ নাই। তেনেস্থলত এইটো উচুপনি কাৰ। শেষত বাহিৰলৈ ওলাই আহিল সন্ধ্যা। দৰ্জাখন খোলোতে পাতলকৈ শব্দ এটা হ'ল। উচুপনিটো বাঢ়ি আহিছে যেন। ইফালে সন্ধ্যাৰো বুকু ধান বনাদি বানিছে। তাতে গোটেই উইংটোত লাইট অফ। মাত্ৰ জোনৰ পোহৰেহে অলপ পাতল ৰূপালী আভা এটা সানিছে। কুঁৱলীবোৰ যেন হোষ্টেলৰ ভিতৰলৈকো সোমাই আহিছে ধোঁৱা ধোঁৱা হৈ। সন্ধ্যা শব্দটোৰ ফালে আগবাঢ়িলে। ৰুমকেইটা পাৰহৈয়ে কৰিডৰটো। হঠাৎ কৰিডৰটোৰ ফালে ভয়ত সিয়ঁৰি গ'ল সন্ধ্যা। মুখেৰে চিঞৰিব বিচাৰিছে তাই। কিন্তু বহু চেষ্টা কৰিও পৰা নাই। মাতটো যেন ডিঙিতে ৰৈ গৈছে। ভৰিদুখনো শিল হৈ গৈছে। কৰিডৰটোত থিয় হৈ গ্ৰীলখনত ধৰি বাহিৰৰ ফালে চাই ৰৈ আছে এটা বগাকৈ ছাঁয়ামূৰ্তি।

(আগলৈ)

#নিৰিবিলি

Kaushik

Part 44

"কোন?" বহু চেষ্টা কৰি সাহসকণ গোটাই মাতটো মাতিলে সন্ধ্যাই। ছাঁয়ামূৰ্তিটোৱে এবাৰ ঘূৰি চালে,

"কি হ'ল? কি লাগে ইয়াত"

মাতটো গলগলীয়া, ঠিক কান্দোনৰ পাছৰ মাতটোৰ দৰে। ঘূৰি চোৱাত মূৰ্তিটো যে কোনোবা ছোৱালীৰ তাত কোনো সন্দেহ নাই। চুলিখিনি মেলা আছিল। সন্ধ্যা আগুৱাই গৈছিল। ঠিক তেনেকুৱাতে হঠাৎ তাইৰ বুকুতে জোৰকৈ গতা এটা মাৰি কৰিডৰেদি ওলাই গ'ল ছোৱালীজনী। অপ্ৰত্যাশিত আক্ৰমণত কৰ্ফাল খাই পৰিছিল সন্ধ্যা। কিন্তু এইবাৰ তাই ভয় খোৱা নাছিল। কাৰণ তাই নিশ্চিত হৈছিল যে তাই ভবাৰ দৰে সেয়া কোনো অশৰীৰী নহয়। কিন্তু এই দুপৰ নিশা এই কৰিডৰত কোন ছোৱালীয়ে কান্দি আছে সেইটো জনাৰ কৌতূহলতে তাই প্ৰায় দৌৰি গৈছিল পিছে পিছে। ছোৱালীজনী ওপৰৰ ষ্টেপত উঠিবলৈ লওঁতেই পিছফালৰ পৰা হাতত ধৰিছিল সন্ধ্যাই। ছোৱালীজনীয়ে ঘূৰি চোৱাত আৰু আচৰিত হ'ল সন্ধ্যা।

"ৰীণা বা, তুমি?"

চুলি জপৰা, এইমাত্ৰ যেন কোনোবাই আজুৰিছে, চকু দুটা ৰঙা, গালত চকুপানীৰ শুকান দাগেৰে ৰীণাক দেখি স্বাভাৱিকতেই আচম্বিত হৈছিল সন্ধ্যা। অনবৰতে চিঞৰ বাখৰ কৰি সোৱণশিৰী জীপাল কৰি ৰখা, সকলোকে জোকাই ধেমালি কৰি মনবোৰ সজীৱ কৰি ৰখা ৰীণা বাৰ এই ৰূপ সোৱণশিৰীৰ প্ৰত্যেক জনী ছোৱালীৰ বাবে কল্পনাৰো অগোচৰ।

"ৰীণা বা, কি হৈছে তোমাৰ? তুমি কান্দিছা?"

সবুৰে পৰা সন্ধ্যাই একেবাৰে সহ্য কৰিব নোৱাৰা এটা বস্তু হৈছে চকুপানী। এই সবু বস্তুটোৱেই বিচলিত কৰি পেলাই তাইক। ঘৰতো কিবা কাৰণত যদি খুৱাকৰ সৰু ল'ৰাটোৱেও কান্দে সন্ধ্যাই যেন দহ বন কাটি কৰি তাক নিচুকাই। তেনে ক্ষেত্ৰত ৰীণা বাৰ দৰে ফুৰ্তিবাজ ছোৱালীজনীৰ চকুৰ পানীয়ে সন্ধ্যাৰো মনটো সেমেকাই তুলিছিল। ৰীণা বাই গম পাইছিল যে তাই ধৰা পৰিছে। গতিকে নিজক লুকুৱাবলৈ বাদ দি উভতি আকৌ কৰিডৰটোৰ ওচৰ পাইছিলগৈ। পিছে পিছে সন্ধ্যাও। সন্ধ্যা গৈ পোৱাৰ লগে লগেই ৰীণাই মুখ নুঘূৰোৱাকৈ কৈছিল,

Kaushik

"তই শোঁ গে যা সন্ধ্যা।"

কেনেকৈ পাৰে সন্ধ্যাই শুব গে। সকলোকে ইঁহঁৰাই ৰখা বাজনীক এই অৱস্থাত এৰি তাই কেনেকৈ শান্তিৰে শুব পাৰে।

"নহ'ব বা, তুমি ক'বই লাগিব মোক। কি হৈছে তোমাৰ।"

সন্ধ্যাৰ কথাত প্ৰায় চিঞৰাৰ দৰেই ক'লে ৰীণাই,

"মই মদ খাইছো বুইছ সন্ধ্যা। নষ্ট চৰিত্ৰৰ ছোৱালী মই। যা, অকলে এৰি দে মোক।"

এনেয়ে হোৱা হ'লে সন্ধ্যা গুচি আহিলহেঁতেন। মদ বোলা বস্তুটো ঘিণ কৰে তাই। কিন্তু এতিয়া তাইৰ ধাৰণা ভালেখিনি সলনি হৈছিল। হয়, মদ খোৱাৰ বিৰোধিতা সন্ধ্যাই আজিও কৰে। কিন্তু তাক লৈ কাৰোৰে চৰিত্ৰ বিচাৰ নকৰে। সেইবাবেই ক'লে,

"মদে স্বাস্থ্যহে নষ্ট কৰে বা, চৰিত্ৰক নহয়। নাইবা মদ অকল পুৰুষৰ সম্পত্তি বুলিও নাভাবোঁ মই। কিন্তু ইমান দিনে মোক নিজৰ ভনীৰ দৰে মৰম কৰা বাজনীক এনেকৈ এৰি যাবও নোৱাৰো মই। কোৱাচোন কি হৈছে।"

সন্ধ্যাৰ কথাত কষ্টেৰে ধৰি ৰখা ৰীণাৰ কান্দোনখিনি যেন ওলাই আহিছিল। সন্ধ্যাই সাৱটি ধৰিছিল তাইক,

"নাকান্দিবা বা, কোৱাচোন মোক কি হৈছে।"

কিছু সময়ৰ পাছত শান্ত হৈ ৰীণাই কৈ গৈছিল তাইৰ কথা। বাহিৰৰ পৰা সুন্দৰ আৰু বিলাসী তাইৰ জীৱনটোৰ শূণ্যতাৰ কথা। তাইৰ হাঁহিবোৰৰ আঁৰৰ কষ্টবোৰৰ কথা। নীলাবিহীন তাইৰ আকাশখনৰ কথা। সন্ধ্যা স্তব্ধ হৈ গৈছিল ৰীণা বাৰ প্ৰথম শাৰীটোতেই,

"মই গাভৰু ছোৱলী নহয় সন্ধ্যা। মই এজনী বোৱাৰী, বিধবা বোৱাৰী।"

তাৰ পাছতে ৰীণাই আৰম্ভ কৰিছিল ৰীণা আৰু তাইৰ প্ৰেমিক সঞ্জীৱৰ আধৰুৱা কাহিনী। সৰুৰে পৰাই উৎপতীয়া ৰীণা দেউতাকৰ বাবে আছিল আলাসৰ লাৰু। হায়াৰ চেকেণ্ডৰীৰ পাছত গ্ৰেজুৱেচনৰ বাবে গুৱাহাটীৰ কলেজত পঢ়িবলৈ গৈয়ে তাইৰ চিনাকি হৈছিল কলেজৰ জনপ্ৰিয় গায়ক সঞ্জীৱৰ সৈতে। প্ৰথমে চিনাকি, তাৰ পাছত প্ৰেম। সঞ্জীৱ ৰীণাতকৈ বয়সত ডাঙৰ আছিল। সেইবাবে ৰীণাই পঢ়ি থাকোঁতেই সি কলেজৰ

Kaushik

পৰা ওলাইছিল। সংগীতৰ প্ৰতি সাংঘাতিক অনুৰক্ত হৈয়ো গান বাদ দি এটা চাকৰিৰ বাবে হাবাথুৰি খাইছিল সঞ্জীৱে। উদ্দেশ্য এটাই, ৰীণাক বিয়া কৰোৱা। কাৰণ নিজৰ প্ৰতিভাৰ ওপৰত বিশ্বাস থাকিলেও সঞ্জীৱে জানে অসমত শিল্পী হিচাপে প্ৰতিষ্ঠিত হৈ স্বাৱলম্বী হ'বলৈ যিমান সময় লাগিব সিমান সময় ৰীণা তাৰ বাবে ৰ'ব নোৱাৰিব। কাৰণ গ্ৰেজুৱেচনৰ পাছতেই ছোৱালীৰ বাবে ল'ৰা আহেই। আৰু সি যিকোনো মূল্যৰ বিনিময়ত ৰীণাক হেৰুৱাব নোখোজে। লাগিলে তাৰ বাবে নিজৰ সপোনটোৰেই সমাধি দিব। এৰা, সমাজৰ এই কিছুমান হকাবধাৰ বাবেই কিমানটা সঞ্জীৱৰ যে সপোন সমাধিস্থ হয়। দিছিল, সপোনৰ সমাধি পাতিছিল সঞ্জীৱে। চৰকাৰী নহ'লেও কোম্পানীৰ এটা সৰু চাকৰি আৰম্ভ কৰিছিল। তাৰ মাজতো ৰীণাৰ অনুৰোধত সময় পালেই চলাই গৈছিল সংগীত চৰ্চা। সময়ত ৰীণাৰ গ্ৰেজুৱেচন শেষ হ'ল। কিন্তু ৰীণাৰ দেউতাক কোনো পধ্যেই মান্তি নহয় ৰীণাক সঞ্জীৱৰ হাতত গতাবলৈ। কাৰণ দেউতাকক লাগে চৰকাৰী চাকৰি থকা জোঁৱাই। কোম্পানীৰ চাকৰিৰ কি গেৰান্টি আছে। আজি ভাল পাইছে ৰাখিছে, কাইলৈ বেয়া পাব এৰি দিব। এইটোৱে যুক্তি আছিল দেউতাকৰ। কিন্তু ৰীণাই দেউতাকৰ বাধ্য হৈ ৰ'ব নোৱাৰিলে। যিটো ল'ৰাই মাত্ৰ তাইৰ বাবেই প্ৰতিভা থকাৰ পাছতো নিজৰ সপোনক হত্যা কৰি চাকৰিৰ পাছত দৌৰিছিল, সেইটো ল'ৰাক তাই প্ৰতাৰণা কৰিব নোৱাৰিলে। দেউতাকৰ অনুমতি অবিহনে গুছি আহিছিল তাই সঞ্জীৱৰ লগত। কিন্তু ভাগ্য যেন সিহঁতৰ সদায় বিপৰীতত আছিল। সঞ্জীৱৰ ঘৰখনেও ৰীণাক বোৱাৰী হিচাপে কোনো পধ্যেই স্বীকাৰ নকৰে। শেষত উপায় নাপাই সঞ্জীৱ আৰু ৰীণা দুয়োখন ঘৰৰ অনুমতি অবিহনেই বিয়াত বহিছিল। গুৱাহাটীতেই এটি ভাৰাঘৰ লৈ সোণালী ভৱিষ্যতৰ সপোন ৰচিছিল। কিন্তু নিয়তি যে আমি ভবাতকৈও বহুত নিষ্ঠুৰ। হঠাৎ এদিন ঘৰত থাকোঁতেই ৰীণাই পাইছিল খবৰটো। গুৱাহাটীত এটা ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰোৱাইছিল সঞ্জীৱে। শেষ হৈ গৈছিল সকলো সপোন, ধূলিস্যাৎ হৈছিল হেঁপাহৰ ঘৰখন। অকালতে মৰহি গৈছিল এটি প্ৰতিভা। প্ৰত্যাশিত ভাৱেই সঞ্জীৱৰ মৃত্যুৰ বাবে তাৰ ঘৰখনে জগৰীয়া কৰিছিল ৰীণাক। অসহায় হৈ পৰা ৰীণাক এদিন দেউতাকে লৈ গৈছিলহি। হাজাৰ হওঁক, নিজৰ তেজ। ৰীণাৰ জীৱনৰ সকলো ৰং তেতিয়াই শেষ হ'ব লাগিছিল। কিন্তু নাই, ৰীণা সাহসেৰে থিয় হৈছিল। মনত পেলাইছিল আই চি ইউৰ বেডত সঞ্জীৱৰ শেষৰ কথাষাৰ,

"তোমাৰ কপালখন খালী কৰি নাৰাখিবা ৰীণা, আকৌ এবাৰ ভৰাবা নতুনকৈ। পঢ়িবা আৰু এটা ভাল চাকৰি কৰিবা। মোৰ লগতে তুমি ৰৈ গ'লে মই মৰিও শান্তি নাপাম।"

Kaushik

কপালখন নতুনকৈ ভৰাব নে নাই তাই নাজানে, কিন্তু তাই সিদ্ধান্ত লৈছিল যে তাই পঢ়িব। নিজৰ এটা পৰিচয় নিৰ্মাণ কৰিব। কিন্তু চাৰিওফালে বাধা আহিছিল।

"বিধৱা হৈ পঢ়া শুনা কৰিব? তাকো হোষ্টেলত থাকি?"

"ছিহ্, এটালে যোৱাৰ পাছতো ইমান গা ঘেলাবৰ মন নে?"

"গাভৰু যৌৱনৰ তেজ যোৱাই নাই যেন পাইছোঁ।"

কিন্তু এই সকলো বোৰৰ মাজতো তাইৰ বাবে ঢাল হৈ থিয় দিছিল দেউতাকে। হাজাৰ জনৰ হাজাৰটা কথা সহ্য কৰিও তাইক পঢ়িবলৈ পঠালে। ৰীণাইও কাৰো আগতে নিজৰ কথা কৈ সহানুভূতি ল'ব বিচৰা নাছিল। সেইবাবেই তাই ব্যৱহাৰ কৰিছিল এই হাঁহিৰ উৰণিখন। কথাখিনি কৈ কৈ শেষৰ ফালে উচুপি উঠিছিল ৰীণাই,

"জান সন্ধ্যা, এজনী ছোৱালীৰ দৰেই নিজকে সজাই ৰাখোঁ। তহঁতৰ লগত ধেমালি কৰোঁ, লগৰ ল'ৰাবোৰৰ লগত ওলাই যাওঁ ফ্লাৰ্ট কৰোঁ। কিন্তু তাৰ পাছতো দিনটোৰ শেষত তাৰ কথাবোৰে খুব আমনি কৰে অ' মোক। সি কিয় গুছি গ'ল মোক এৰি। চিঞৰি চিঞৰি কান্দিবলে মন যায়। কিন্তু নোৱাৰোঁ। সেইবাবেই শেষ ৰাতি ইয়াত আহি উচুপো।" বুলি হুকহুকাই কান্দি দিছিল ৰীণাই।

চকুৰ পলক নজপোৱাকৈ প্ৰস্তৰ মূৰ্তি হৈ ৰৈ আছিল সন্ধ্যা। অবিশ্বাস্য, বুকুত এই হেন একুৰা জুই লৈ কিদৰে ইমান হাঁহি ফুৰ্তি কৰি ফুৰিব পাৰে এজনী ছোৱালীয়ে? মনত কিমান দৃঢ়তা হ'লে আদ বয়সতে নামি অহা বৈধব্যক নেওচি সমাজৰ পৰিধি ভাঙি নিজৰ জীৱনটো আৰম্ভ কৰিব পাৰে নতুনকৈ? সঁচাই, নাৰী সঁচাই অনন্যা। আমিতো আমাৰ পূৰ্ণ জীৱনটো লৈও কিমান অভিযোগ ৰাখো, কিন্তু ৰীণা বা হঁতৰ দৰে মানুহে ভিতৰি শিল হৈও যে বাহিৰে এইদৰে হাঁহিব পাৰে ভাবিলে নিজলৈকে পুতৌ জন্মে। ৰীণা বাৰ প্ৰতি সহানুভূতিতকৈ শ্ৰদ্ধাত মূৰ দোঁ খাই গৈছিল সন্ধ্যাৰ। অহৰহ বৈ অহা চকু পানীখিনি মচি ৰীণাক কৈছিল তাই,

"তুমি সাহসৰ এক জীৱন্ত উদাহৰণ বা। তুমি আগলৈ আদৰ্শ হ'বা বহুজনৰ। তোমাক সহানুভূতি দেখুওৱাতো দূৰেই প্ৰেৰণা দিয়াৰো সাহস মোৰ নাই। কাৰণ তুমি নিজেই আমাৰ বহুতৰ বাবে এক প্ৰেৰণা। তুমি ভাগি পৰিব নোৱাৰা ৰীণা বা। তুমি সকলোকে দেখুওৱাব লাগিব নাৰী কেৱল বংশ বৃদ্ধিৰ যন্ত্ৰ হ'ব নোৱাৰে। স্বামীৰ মৃত্যুয়ে এগৰাকী পত্নীৰ জীৱনৰ ৰং শেষ কৰিব নোৱাৰে। জীৱন উদযাপনৰ অধিকাৰ

kaushik

আমাৰ পৰা এই তথাকথিত সমাজখনে কাঢ়ি নিব নোৱাৰে। তুমি ভিনদেউৰ বাবেও নিজক শক্তিশালী কৰিব লাগিব বা।"

সন্ধ্যাৰ কথাখিনিয়ে বহুখিনি শান্ত কৰি তুলিছিল ৰীণাক। লগতে আনিছিল দৃঢ়তা।

"মই পাৰিম সন্ধ্যা। সঞ্জীৱক বুকুত ৰাখিয়ে আগুৱাই যাম মই। মই এইবোৰ কাৰো আগত নকওঁ সন্ধ্যা। কাৰো আগত মই ঘাঁবোৰ নেদেখুৱাও, কাৰণ এইখন নিমখৰ চহৰ। কিন্তু তোক বুজি পাওঁ, তোৰ মৰম আকলুৱা মনটোৰ ওচৰত মইও হাৰি গ'লো।"

ৰীণাৰ চকুপানী খিনি মচি মচি কৈছিল সন্ধ্যাই,

"তোমাৰ এই কাহিনীয়ে আগলৈ মোকো শক্তি দিব বা। চিন্তা নকৰিবা, এই বিষয়ে আজিৰ পৰা আৰু আমি কেতিয়াও নাপাতোঁ কাৰো আগতে। মোক বিশ্বাস কৰা।"

হাঁহিছিল ৰীণাই। তাইৰ মনটো বহুখিনি ফৰকাল। এৰা, ঠিকেই কৈছিল কোনোবাই ভগাই ল'লে সুখ যদি দুগুণ হয় দুখো আধা হয়।

ৰীণাক ৰুমলৈ পঠিয়াই সন্ধ্যাও ৰুম পাইছিলগৈ। মনতে ঠিক কৰিছিল তাই, এইবোৰ কথা বিদিশাৰ আগতো তাই নকয়। আচৰিত, বাহিৰে হাঁহি থকা কিমান জনে চাগে বুকুৰ মাজত পুহি ৰাখে যন্ত্ৰণাৰ অনন্য কাহিনী। ৰীণাও বিচনাত পৰিছিলগৈ। বহুদিনৰ বুকুৰ শিল এটাহে যেন খহি পৰিছিল আজি। তেতিয়ালৈ পোহৰ হৈছিল। আকাশখন সাজু হৈছিল নতুন ৰ'দালিক আদৰিবলৈ। কাঞ্চনৰ পাতত থকা নিয়ৰ টোপালো নোহোৱা হৈছিল ৰ'দালিৰ অস্তিত্বত। পৃথিৱী অপেক্ষাত ৰৈছিল নতুন সুৰুযৰ, নতুন পোহৰৰ।

Techxetra পিছদিনাৰ পুৱাটোতকৈ দুখ আৰু কষ্টৰ দিন তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰতিজন শিক্ষাৰ্থীৰ বাবে আৰু নাই। তাতে দুদিনৰ পাছতে পৰীক্ষাও। য'ত এটা ক্লাছ কৰাৰো কাৰো মানসিক অৱস্থা নাই, তাত বহিব লাগিব পৰীক্ষাত। নোৱাৰা হয় সকলোৰে, ভাগি পৰে, কিন্তু আকৌ থিয় হয়। আগবাঢ়ে নতুন উদ্যমেৰে। সেইবাবেই এওঁলোক তেজীয়ান। আগদিনা ডি জে নাইটত নাচিও পিছদিনাই লাইব্ৰেৰীত নোটছ লিখিব পৰাকৈ শক্তিশালী, মনৰ পৰা।

Kaushik

ক্লাছলৈ গৈ থাকোঁতে ভাঙি থকা পেণ্ডেলটো দেখি মনটো গধূৰ হৈছিল সন্ধ্যাৰো। ফিল্ডখনত যেন তেতিয়াও প্ৰতিধ্বনিত হৈ আছিল যোৱা নিশাৰ চিঞৰবোৰ। কিন্তু উপায় নাই, সেইবোৰৰ আৱেগত তেজীয়ানে হুমুঁনিয়াহ পেলাব পাৰে কিন্তু তাতে ৰৈ যাব নোৱাৰে। আগবাঢ়িছিল সন্ধ্যাও সকলোৰে দৰে। দুদিন পাছৰ পৰাই আৰম্ভ হৈছিল পৰীক্ষা। Techxetraৰ ভাগৰ নৌ যাওঁতেই পৰীক্ষা হলত বহিব লগীয়া হোৱাৰ যন্ত্ৰণা বেলেগে বুজিব নোৱাৰে। এই ছিষ্টেমটোৱে হয়তো জীৱনৰ এক নিষ্ঠুৰ পাঠ শিকাই যায়। যে জীৱনত সুখ দুখ আনন্দ উল্লাস সকলো ক্ষন্তেকীয়া। যিমান যি হ'লেও জীৱন চলি গৈ থাকিব। দিনৰ পাছত ৰাতি হ'ব, ৰাতিৰ পাছত দিন।

প্ৰায় পাঁচ দিনৰ পাছত পৰীক্ষা শেষ হোৱাত সন্ধ্যা ঘৰলৈ যাবলৈ ওলাল। ইতিমধ্যে গাঁৱত ৰাসৰ আখৰা আৰম্ভ হৈ গৈছিল। সন্ধ্যাই যে কেনেকৈ মনটো বান্ধি ৰাখিছে কেৱল তাইহে জানে। কেতিয়াবা সন্ধিয়া পাপৰিক ফোন কৰি কয়, মোক অকণ খোলৰ মাত শুনাই দেচোন। পাপৰিয়ে শুনাই। দুগালেৰে এটুপি চকুলো বোৱাই সন্ধ্যাইও শুনে।

"ধেই খুৰা থেনি তাথেনি থেন দাওঁ,

তাও খুৰা থেনি তাথেনি থেন দাওঁ"

সৰু কৃষ্ণৰ নাচ শিকাইছে। সন্ধ্যাই ৰুমতেই এপাক গা টো ঘূৰাই। এটা কেঁচা হুমুনিয়াহ সৰায়।

এতিয়া পৰীক্ষা শেষ যেতিয়া তাই দুদিনৰ বাবে হ'লেও ঘৰলৈ যাবই। ঘৰ যোৱাৰ কথা কওঁতে অভিমন্যুয়েও ক'লে, সিও এবাৰ ঘৰৰ পৰা আহিবগৈ। তাৰ কিবা "ঈশান উদয়" স্কলাৰ ছিপৰ কাম আছে। গতিকে শুক্ৰবাৰে শেষৰ ক্লাছটো কৰি বাহিৰে বাহিৰেই দুইটা যাবলৈ ওলাল।

"তহঁত দুটা সঁচাকে ঘৰলৈকে যাঁৱতো। নে কিবা বেলেগ ধান্দা হা?" ক্লাছৰ পৰা গোটেইকেইটা ওলাই আহোঁতেই জুৰিয়ে সুধিলে।

"ছিহ, কি অসভ্য তই। যাহ এইজনী।" বুলি ঠেলা এটা মাৰি সন্ধ্যা আঁতৰি গৈছিল। গোটেই বোৰে আকৌ আৰম্ভ কৰিছিল জোকাবলৈ,

"ঠিক নাই দেই ক'লৈ যায়।"

Kaushik

"ঐ, বিয়া চিয়াৰ প্লেন যদি আমাকো ক'বি।"

আৰু যে কত কি। সিহঁতে এইবোৰ আওকাণ কৰি যাবলৈ ওলাইছিল। এনেতে অনুৰণ সন্ধ্যাৰ কাষলৈ আহিল,

"কেতিয়া আহিবা গৈ?"

"দেওবাৰে।" বেগৰ চেইন ডাল মাৰি সন্ধ্যাই ক'লে।

"গৈ পাই ক'বা।" বুলি আঁতৰি গৈছিল অনুৰণ। ভাল লাগিছিল সন্ধ্যাৰ। এই যে কোনোবাই কাৰোবাৰ বাবে এনেকৈ সৰু সৰু চিন্তাবোৰ কৰে, মৰমবোৰ চাগে এনেকৈ আহে, আপোনতা বোৰ চাগে এনেকৈয়ে বাঢ়ে।

ইউনিভাৰ্চিটীৰ বাছত গৈ মিছন চাৰিআলিত নামিছিল অভিমন্যু আৰু সন্ধ্যা। গোটেই বাটটো সি তাইৰ বাহুতে মূৰ পেলাই শুই আহিছে। বাছখন ৰখোৱাৰ লগে লগেই তাই "ঐ কুম্ভকৰ্ণ, উঠ" বুলি জোকাৰি দিছিল তাক। দুইটা নামিছিল।

"কিবা এটা খাই লওঁ ব'ল না। ভোক লাগিছে।" অভিমন্যুয়ে ক'লে। ইহঁত ল'ৰাবোৰৰ এনেও ব্ৰেক ফাষ্ট কৰাৰ নিয়মেই নাই। তাতে সি গোলাঘাট পাইগৈ মানে চাৰি ঘণ্টা মানতো লাগিবই। গতিকে নিজৰ ভোক নালাগিলেও তাৰ বাবেই খাবলৈ গ'ল সন্ধ্যা। মিছন চাৰিআলি, তেজপুৰৰ এটা অন্যতম ব্যস্ততাময় কেন্দ্ৰ। এফালে উজনি আৰু আনফালে নামনি সকলো ফালেৰে যোৱা বাছ ট্ৰেভেলাৰবোৰৰ লগতে অন্যান্য গাড়ীবোৰেও গোটেই দিনটো হুলস্থুলেৰে ভৰাই ৰাখে ঠাইখিনি। হেণ্ডিমেনৰ চিঞৰ, গাড়ীৰ হৰ্ণ আদিবোৰে জীয়াই ৰাখে মিছন চাৰিআলিক। ইউনিভাৰ্চিটীৰ পৰা আহিলে য'ত ৰখে, তাৰ সোঁফালে ৰাস্তাটো পাৰ হ'লেই পোৱা দোকানখনতে সোমাল অভি আৰু সন্ধ্যা। পেটিছ ল'লে। গৰম গৰম পেটিছ কেইটা খাবলৈ সোৱাদ লগা। অভিমন্যুয়ে পানীৰ বটল এটা কিনি আহোঁতেই সন্ধ্যাই চিঞৰিছিল,

"সৌ খন গোলাঘাটৰ গাড়ী। খালীও আছে। যা তই।"

"ৰহ, আগত তোক উঠাই থৈ আহোঁ।" বুলি সন্ধ্যাক লৈ বিশ্বনাথ চাৰিআলিলৈ ৰখা বাছৰ ফালে আগবাঢ়িল সি। সেইফালৰ বাছবোৰ ইয়াৰ বিপৰীত ফালে থাকে। সন্ধ্যাই "মই পাৰিম অ'" বুলি কৈছিল যদিও সি উঠাবলৈ গ'ল তাইক। এখন গাড়ী প্ৰায় খালীয়ে আছিল। তাতে তাইক উঠাই সি আকৌ ৰাস্তা পাৰ হৈ এইপাৰে আহিছিল। এক কি দুই মিনিট পাৰ হৈছিল। হঠাৎ সন্ধ্যাৰ মনত পৰিল তাই পাৰ্চটো অথনিৰ দোকান

kaushik-

খনতে এৰি আহিল। লগে ভয় আৰু চিন্তাই বেৰি ধৰিছিল। খং উঠিছিল অভিমন্যুৰ ওপৰতে। সি হে দৌৰা দৌৰি লগাইছিল। লগে লগেই বাছৰ পৰা নামি আহিল সন্ধ্যা। ৰাস্তাটো পাৰ হৈ দোকান খনলৈ দৌৰিছিল। ভাগ্য ভাল যে তেওঁলোকে বেগটো ৰাখি থৈছিল। স্বস্তিৰ নিশ্বাস এৰি দোকানখনৰ পৰা ওলাই আহোঁতেই তাই দেখিলে নগাঁও বুলি লিখি থোৱা এখন ট্ৰেভেলাৰত বহি আছে অভিমন্যু। গাড়ীখনৰ দুৱাৰখনত ওলমি হেণ্ডিমেন জনেও চিঞৰি আছিল "নগাঁও নগাঁও।" কিন্তু গোলাঘাটলৈ যোৱা অভিমন্যু নগাঁৱৰ গাড়ীত কিয়? তাই "অভি" বুলি চিঞৰিছিল যদিও গাড়ীবোৰৰ শব্দত তাৰ কাণত নপৰিল। এনেতে ট্ৰেভেলাৰখন যাবলৈ লোৱাত সন্ধ্যাও উভতি আহিছিল তাইৰ গাড়ীখনলৈ। ঘৰলৈ অহাৰ বাটটোত তাই ভাবি আছিল, অভিমন্যুৰ ঘৰ গোলাঘাটত। গুৱাহাটীত তাৰ খুৰাক এজন আছে সঁচা কিন্তু সাধাৰণতে তালৈ নাযায়। আৰু গ'লেও গুৱাহাটীৰ গাড়ীত যাব। কিন্তু নগাঁৱলৈ কিয়? তাততো তাৰ কোনো নাই। তথাপি গ'লেই যেনিবা কিবা কামত, তাইক ঘৰলৈ যাওঁ বুলি ফাঁকি কিয় দিছিল? কথাবোৰ যেন সাঁথৰ সাঁথৰ। এসোপা মান প্ৰশ্নৰ চক্ৰব্যেহুত বাট হেৰুৱাইছিল সন্ধ্যাই।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 45

সন্ধ্যা আহি পালেই ঘৰখন যেন সজীৱ হৈ উঠে। মাকৰ মুখৰ হাঁহিটো নুগুচাই হয়। তাতে এতিয়া ৰাসৰ বতৰ। চুবুৰীটোত তৎ নাই কাৰো গাত। দিনটোত কোনোবা নহয় কোনোবা এটাই বচন এফাঁকি মাতি মাতি গোটেইবোৰকে শুনাবই। সন্ধ্যা পদূলিত নামোতেই সিফালৰ পৰা মদন খুৰাই চিঞৰটো মাৰি আহিলেই,

"স্নেহৰ ভগ্নী বুলি কিমতে কৰোঁ দয়া,

মোৰ প্ৰাণ নাশ কৰে তোৰ পুত্ৰ হুয়া"

বুজি গ'ল সন্ধ্যাই। মদন খুৰা মানে এইবাৰ কংস। হাঁহি মাৰি ক'লে তাই,

"ৱাহ, এইবাৰ কংস তাৰমানে?"

"আৰু কি, এইবাৰ চাবি উত্তৰ চাৰিআলি কঁপাই দিম।" বুলি কংসৰ হাঃ হাঃ হাঁহিটো এবাৰ তাইক মাৰি শুনায়েই দিলে তেওঁ।

"ঐ অসুৰ, ছোৱালী জনীক থিয়ে থিয়ে বচন শুনাব নেলাগে। ঘৈণীয়েৰক পাণ দুখিলা মান খুজিছিলোঁ, যা চোন সাউতকৈ আনি দে।"

মদন খুৰাৰ বচন শুনিয়েই সন্ধ্যাৰ আইতাক ওলাই আহিল। আইতাকে সকলোকে ধমকি মাৰিয়েই কথা কয়। গাঁৱৰ সকলোৰে বাবে চিনাকি তেওঁৰ ধমকিটো। কেতিয়াবা ধমকি নমৰাকৈ কথা ক'লেহে সকলোৱে সোধে,

"গা টো বেয়া নে কি?"

আইতাৰ ধমকি খাই মদন খুৰা ঘৰ পালেগৈ। সন্ধ্যাও হাঁহি ভিতৰ সোমাল। দুদিনৰ বাবে হ'লেও আকৌ সোমাই পৰিল তাইৰ স্বৰ্গখনত। ঘৰ পাইয়ে সকলোৰে মৰম আদৰত অভিমন্যুৰ কথা পাহৰিছিলেই তাই। মোবাইলটোও বিচনাতে থোৱা বেগটোতে থাকিল। ঘৰৰ সকলোৰে লগত কথা বতৰা পাতি এক ঘন্টা মানৰ পাছত বিচনাত পৰিল সন্ধ্যা। ভাগৰত টোপনি গ'ল সোনকালেই। প্ৰায় তিনি ঘন্টা মানৰ মূৰতহে সাৰ পালে তাই। নিজৰ বিচনাখনৰ সমান যে একোৱেই হ'ব নোৱাৰে। শুই উঠি বেগটো খুলি মোবাইলটো চাওঁতেহে দেখিলে অনুৰণৰ পৰা সাতটা মিছকল। ইচ্, সি যে গৈ পাই ফোন কৰিবলৈ কৈছিল। তাই পাহৰি থাকিলে। দোষী দোষী ভাৱেৰে ফোনটো লগালে তালৈ। এক কি দুই ছেকেণ্ডতে ফোনটো ৰিচিভ কৰিলে অনুৰণে,

"ক'ত আছিলা" তাৰ মাতটোত যেন এক বেলেগ সুৰ। হয়তো খং, হয়তো অভিমান।

"ফোনটো বেগতে থাকিল। মাহঁতৰ লগত কথা পাতি শুই গ'লো।" লাহে লাহে কথাকেইটা ক'লে সন্ধ্যাই।

"ফোন কৰিব কৈছিলোঁ ন গৈ পায়?" অনুৰণৰ মাতটোত যেন ভিৰ কৰিছিল অভিমানবোৰে। এক মূহুৰ্তৰ বাবে তাক সৰু ল'ৰা এটাৰ দৰে লাগি গৈছিল সন্ধ্যাৰ। এটি নিস্পাপ শিশু। মৰমসনা মাতেৰে সন্ধ্যাই ক'লে,

"ছৰী অ', জানাইতো ঘৰ পালেহি চব পাহৰি যাওঁ।"

কিছু সময় নীৰৱতা। অনুৰণৰ ঘন ঘন উশাহবোৰ কাণত পৰিছিল সন্ধ্যাৰ। উশাহৰ মাজেদি যেন অভিমান সৰিছিল। সন্ধ্যাই আকৌ ক'লে,

"ঐ, বেয়া পাইছা?"

"সেইটোয়েইতো নোৱাৰোঁ কৰিব।" অনুৰণে ক'লে।

Kaushik

"কি নোৱাৰা কৰিব?" সন্ধ্যাই বুজা নাছিল সি কি ক'ব খুজিছে।

"তোমাক বেয়া পাব।" অনুৰণৰ উত্তৰত হাঁহি দিছিল তাই। খুব কথা ক'ব শিকিছে আজিকালি এখেতে। আগতে ফোনত ইমান কথা পতা নহয়। আজিকালি পিছে ফোনতো পাতে মাজে মাজে। অনুৰণে বেছি ভাগ শুনিয়ে যায়, সন্ধ্যাই কৈ যায় কাকো ক'ব নোৱাৰা কথাবোৰ। আজিও আৰম্ভ কৰিলে তাই,

"আজি কি হ'ল জানা" বুলি অভিমন্যুৰ কথাখিনি ক'লে তাই। কেনেকৈ তাইক ফাঁকি দি সি নগাঁৱৰ গাড়ীত গৈছিল। কথাখিনি কৈ শেষত মুখখন ফুলাই ক'লে তাই,

"চবেই এনেই কয় সি মোক ভাল পাই বুলি। চব মিছা এইবোৰ।"

অভিমানৰ লগতে দুখো লাগিছিল সন্ধ্যাৰ। কাৰণ অভিমন্যুৰ পৰা এনে মিছা কথা অপ্ৰত্যাশিত। সঁচাই, মিছা কথা ধৰা পৰিলে কোৱা জনতকৈ ধৰা পেলোৱা জনৰ কষ্ট এনেও বেছি হয়। কাৰণ আঘাত কৰা জনতকৈ আঘাত পোৱা জনৰ কষ্ট সদায় বেছি।

"তুমি তাক নুসুধিলা কিয় ফোন কৰি?" অনুৰণৰ কথাত যেন অভিমানবোৰ আৰু তীব্ৰ হৈ উঠিছিল সন্ধ্যাৰ,

"কিয় কৰিম মই? নকৰোঁ, সি যদি মোক ফাকি দি নগাঁও যাব পাৰে মই কিয় কৰিম? কৰক, নিজৰ যি মন যায় কৰক।"

সন্ধ্যাৰ খঙৰ উমান পাইছিল অনুৰণে। অভিমানবোৰ বেছি সময় থূপ খালে প্ৰথমে খং আৰু পিছত ঘৃণালৈ পৰিণত হৈ পৰে। সেয়ে বুজনিৰ সুৰত ক'লে সি,

"ফোন কৰা হ'লেহে গম পালা হেঁতেন। সি তাৰ লগৰ এটাক লগ কৰিবলৈ গৈছিল নগাঁও। তাৰ পৰাই দুইটা বাইকত গোলাঘাট গৈছে।"

লগৰটোক লগ কৰিবলৈ অভিমন্যু নগাঁও গ'ল। তাৰ পৰা আকৌ বাইকত গোলাঘাট? কথাবোৰ যেন কিবা আঁহ ফলা। সন্ধ্যাৰ সন্দেহ হ'ল,

"এনেই যে নক'বা। তেজপুৰৰ পৰা নগাঁও, নগাঁৱৰ পৰা আকৌ উভতি গোলাঘাট।"

"সঁচাই কৈছো। তাৰ লগৰটো নগাঁও পলীত পঢ়ে। তাৰ ক্লাছ অলপ দেৰিলৈ আছিল বাবে অভিমন্যু তাত ৰ'লগৈ। তাৰ পৰাই একেলগে গৈছে। তুমি গালি দিবা বুলি নক'লে।"

Kaushik

অনুৰণে কোৱাৰ বাবে বিশ্বাস হ'ল যদিও ক'ৰবাত প্ৰশ্নবোধক এটা ৰৈ গৈছিল সন্ধ্যাৰ। তথাপি তাই বেছি সুধি নাথাকি "বাৰু" বুলি সামৰি থ'লে। কিছুমান কথা এনেও আমাৰ হাতত নাথাকে। সূৰ্যও সময়তকৈ আগেয়ে উদয় নহয়।

সন্ধ্যাৰ ফোনটো কাটিয়ে অভিমন্যুলৈ ফোন লগালে অনুৰণে। সি ৰিচিভ কৰিলে লগে লগে,

"অনুৰণ কোৱা।"

"ঘৰ পালাগৈ নে?"

"এইমাত্ৰ পালোঁহি। বৰ কষ্ট এইবোৰ অ'। এবাৰ নগাঁও, এবাৰ গোলাঘাট।" ভাগৰুৱা মাতেৰে অভিমন্যুয়ে ক'লে।

"শুনা, সন্ধ্যাই তুমি নগাঁৱলৈ যোৱা গম পাইছে।"

"কি?" অভিমন্যুয়ে চিঞৰি উঠিল, "কিন্তু কেনেকৈ?"

অনুৰণে চমুকৈ কথাখিনি কৈ ক'লে,

"মই তাইক ক'লো তুমি নগাঁৱৰ পলীৰ লগৰ এজনৰ লগত বাইকত যাবা।"

"Thank you so much অনুৰণ।" যেন স্বস্তিৰ নিস্বাস এৰিছিল অভিমন্যুয়ে।

"কিন্তু অভিমন্যু, এনেকৈ আৰু কিমান? আজি কিবা ঠিক হ'ল নে?" অনুৰণৰ কথাত ভাগৰুৱা মাতটোৰে লাহে লাহে অভিমন্যুয়ে কৈ গৈছিল,

"নাই অ'। সেই একেই। প্ৰথমে কথা, তাৰ পাছত তৰ্ক, তাৰ পাছত কাজিয়া। মই কি কৰোঁ একো বুজি পোৱা নাই। সকলোৱে সন্ধ্যাৰ লগত জোকাই। মোৰো চাগে ভাল লাগে, কিন্তু কি কৰিম? নাই ইপাৰ নাই সিপাৰ হৈ আছোঁ মই। সন্ধ্যাক কথাবোৰ ক'লেও কি বুলি ক'ম? কেনেকৈ ক'ম? কোনে বুজিব এইবোৰ?"

অভিমন্যুৰ মাতটো যেন কঁপি উঠিছিল। অনুৰণেও বুজি পোৱা নাছিল কি ক'ব, কেনেকৈ সান্তনা দিব তাক। কিছু সময় নীৰৱতা। কেতিয়াবা নীৰৱতাও বৰ অসহ্যকৰ হৈ উঠে। অনুৰণে শান্ত ভাৱেৰে কৈছিল,

Kaushik

"হ'ব দিয়া। এতিয়া ঘৰত আছা এইবোৰ ইমান নাভাবিবা। পাৰিলে এই দুদিনত আকৌ এবাৰ লগ কৰি চোৱা। এটা সিদ্ধান্তলৈ আহা।"

"উমম, চাওঁচোন" বুলি ফোনটো থৈছিল অভিমন্যুয়ে। সঁচাকৈ অনুৰণে আজি বিপদ এটাৰ পৰা বচালে তাক। এৰা, বিপদেইতো। সন্ধ্যাই ভুল বুজাটো কোনো বিপদতকৈ কম নহয়। ভাগৰুৱা দেহাটো বিচনাখনত এৰি দি চকু দুটা মুদি দিছিল সি।

এন্ধাৰ হোৱাৰ লগে লগেই পাপৰিহঁতৰ লগত ৰাসৰ আখৰাত ওলাল গৈ সন্ধ্যা। দুদিনৰ বাবেহে আহিছে কাৰণে প্ৰথমেই তাইৰ নাচ খিনিকে এবাৰ দেখুৱাই দিলে ৰাস শিকোৱা মানুহজনে। তাইৰ ভাওটো মোহিনী। অৰ্থাৎ পুতনাই কংসৰ আদেশমতে কৃষ্ণক মাৰিবলৈ যি সুন্দৰী ৰূপ লৈ যায়, সেইটো। শিকাই দিয়া মতেই নাচিছিল সন্ধ্যাই। মিনতি বায়ে সুৰ লগাই গাই গৈছিল,

"আসিলেক পুতনা মোহিনী নাৰী বেশে,

স্তন দিয়া শিশু মাৰি ফুৰে বেশে বেশে।

কোলে লৈয়া তোমাসাক দিলে স্তনদান,

স্তনপানে পুতনাৰ শুসিলাহা প্ৰাণ।"

সন্ধ্যাৰ লয়লাস ভংগী নাচে সেইদিনা আখৰাত যেন প্ৰাণ ঢালিছিল। তাৰ পাছতেই গোপী নাচৰ আখৰা। গাঁৱৰে দেহা বা আৰু মুনু বা প্ৰথম গোপী। বৰ ধুনীয়া নাচে সিহঁত দুইজনীয়ে। সকলোৱে জোৰ কৰাত সন্ধ্যাইও এপাক নাচিছিল। আনন্দ খুৱাৰ খোলত যেন যাদুহে আছিল,

"ধেই খুৱা থেনি তাক খুৱা থেনি,

খিত তা দি ধিনা তাক খিনা খিনি।"

সঁচাই, এইয়ে জীৱন। কেইদিন মান আগত এই একেজনী সন্ধ্যাই ইউনিভাৰ্চিটীৰ ফিল্ডত পশ্চিমীয়া তথা হিন্দী গীতত জঁপিয়াই নাচিছিল আৰু আজি নামঘৰত খোলৰ মাতত চাদৰ মেখেলা পিন্ধি সত্ৰীয়া নাচি আছে। জীৱনে শিকায়। সন্ধ্যাই লাহে লাহে বুজি উঠিছে। আনৰ সংস্কৃতিক আদৰাটো কেতিয়াও ভুল নহয়, হ'ব নোৱাৰে। ভুল হৈছে নিজৰটো একেবাৰে পাহৰি আনৰটোকে আঁকোৱালি লোৱা। কিন্তু নিজৰ খিনি বুকুত

Kaushik

ৰাখি আনৰ থিনিতো মিলি যাব সন্ধ্যাই খুব ভালকৈ জানে। চুমনে বিলাপ মাতিব পৰা নাছিল ৰাধাৰ। সন্ধ্যাই এবাৰত তাইক আছুতীয়াকৈ শিকাই দিছিল সুৰটো,

"তোমাৰ দাসী মক্রি,

জানা নাৰায়ণ,

অনাথৰ নাথ মোক দিয়া দৰিশন"

ৰাধাৰ চৰিত্ৰটো সঁচাই অতি প্ৰিয় সন্ধ্যাৰ। আগৰ বাৰ ৰাসত তাই ৰাধা হওঁতে বিলাপৰ সময়ত নিজে নিজেই যেন বৈ আহিছিল চকুলো। সঁচাকৈ ৰাধা কেৱল এটা চৰিত্ৰই নহয়, ৰাধা এটি অনুভৱ। কৃষ্ণক ভালপোৱা প্ৰতিজনৰ অন্তৰতে একোজনী ৰাধা থাকে।

আখৰাৰ মাজতেই পাৰ হ'ল দুদিন। সন্ধ্যা উভতাৰ সময় হ'ল আকৌ কাঞ্চনৰ মাজলৈ। তাই অনুভৱ কৰিছিল ঘৰৰ পৰা প্ৰথম বাৰ ইউনিভাৰ্চিটীলৈ উভতি যাওঁতে যিমান বেয়া লাগিছিল, এতিয়া যেন তাতকৈ কিছু কম। ক'ৰবাত ঘৰখনৰ পৰা তাই আঁতৰি আহিছে নেকি বাৰু? নাই নহয়। আচলতে কাঞ্চনৰ চহৰ খনৰহে প্ৰেমত পৰিছে তাই।

Kaushik

তেজপুৰ ইউনিভাৰ্চিটী নতুনকৈ আকৌ সাজু হৈছিল অন্য এটি উৎসৱলৈ। পোহৰৰ উৎসৱ দীপাৱলী। এই দীপাৱলী ইয়াত খুব আড়ম্বৰেৰে পালন কৰে। মেইন গেটৰ পৰা আৰম্ভ কৰি প্ৰতিখন হোষ্টেল, প্ৰতিটো ডিপাৰ্টমেণ্ট, Essential, Aminity, প্ৰতিটো কোৱাৰ্টাৰ আনকি ভিচি ছাৰৰ বঙলালৈকে সকলো বোৰ অন্য ৰূপত সজাই তোলে। চাকি, মমবাতি আৰু সৰু সৰু লাইটবোৰেৰে গোটেই চৌহদটোৱেই যেন পোহৰেৰেই জয়গান গায়।

সন্ধ্যাৰ পিছে ঘৰলৈহে যাবলৈ মন আছিল যদিও হোষ্টেলৰ বা হঁতৰ পৰা আৰম্ভ কৰি লগৰ জুৰি সীমাহঁতলৈকে আৰু বিশেষকৈ অভিমন্যুয়ে কৰা অনুৰোধ পেলাব নোৱাৰি থাকি গ'ল তাই। দীপাৱলীত যেন প্ৰতিখন হোষ্টেলত আৰম্ভ হয় অঘোষিত প্ৰতিযোগিতা। কোনে নিজৰ হোষ্টেলটো কিমান ধুনীয়াকৈ সজাব পাৰিছে তাৰ যেন এক শীতল যুদ্ধ। আৰু পৰিণতিত গোটেই কেইখন হোষ্টেলেই চালে চকু ৰোৱা হৈ পৰে। দুই তিনি দিন আগৰ পৰাই প্ৰিফেক্ট সকলৰ তত্ত্বাৱধানত হোষ্টেলৰ আৱাসীসকলে সজাবলৈ লাগি যায় নিজৰ মৰমৰ দ্বিতীয় ঘৰখন। কোনোবাই যদি বাঁহবোৰ কাটি তাত চাকিৰ

বিভিন্ন ডিজাইনেৰে হোষ্টেললৈ সোমোৱা ৰাস্তাবোৰ সজাই, কোনোবাই আকৌ সৰু সৰু লাইটবোৰেৰে ৰঙৰ মেলা পতাই। লগতে ৰংগুলি সজোৱাটো আছেই। ডিপাৰ্টমেন্টবোৰতো আয়োজন কৰা হয় যদিও সকলোৰে বাবে হোষ্টেল আগত। "হোষ্টেলত কাম কৰিহে ডিপাৰ্টমেন্ট যাব পাৰিবি" বুলি ছিনিয়ৰে আদেশ দিলেও নিদিলেও কোনেও হোষ্টেল এৰি ডিপাৰ্টমেন্টলৈ নাযায়। দীপাৱলীৰ দিনা পুৱাৰে পৰা টাকুৰী ঘূৰা দি ঘূৰি আছিল ৰীণা, বিদিশা আৰু দীপাহঁত। ঘৰৰ পৰা আহি দীপা বাও আকৌ আগৰ দৰে মিলি পৰিছিল। সন্ধ্যাইও বিদিশাই দিয়া কামবোৰ কৰি গৈছিল। সন্ধিয়া হোৱাৰ লগে লগেই জিলিকি উঠিছিল সোৱণশিৰী। অৱশ্যে অকল সোৱণশিৰীয়েই নহয়, কাষৰ কপিলী, পবিতৰা আৰু সিফালৰ বৰদৈচিলা, প্ৰাগজ্যোতিকা, ধনশিৰীতো একেই পোহৰৰ আভা। হোষ্টেলৰ লগতে ছোৱালীবোৰৰ মাজতো আকৌ সৌন্দৰ্যৰ অঘোষিত প্ৰতিযোগিতাখন আছেই। সন্ধ্যাহঁতৰ লগৰ গোটেইবোৰ Essentialতেই লগ হোৱাৰ কথা। তাৰ পৰাই সিহঁতবোৰ এপাক ঘূৰিব। পিছে তাইক চন্দ্ৰালী বাই সোনকালে ডিপাৰ্টমেন্টলৈ মাতিছিল ৰংগুলি বনাবলৈ। সেইবাবে হোষ্টেলৰ কামখিনি অঁতাই সন্ধ্যা ডিপাৰ্টমেন্ট পাইছিল গৈ। ডিপাৰ্টমেন্টটোত ষ্টেপ কেইটাত চাকি জ্বলাই আছিল চন্দ্ৰালীয়ে। বগা চুৰিদাৰ পিন্ধা চন্দ্ৰালী বাক বৰ ধুনীয়া দেখাইছিল। সন্ধ্যা যোৱাৰ লগে লগেই তাইও ব্যস্ত হ'ল ৰংগুলি বনোৱাত। মাজতে অভিমন্যুয়ে ফোন কৰাত তাই ডিপাৰ্টমেন্টলৈকে মাতিলে।

পাটকাইলৈ সোমোৱা গোটেই পথটোত লাইট আৰু তাৰ কাষে কাষে চাকি জ্বলাই আছিল অনুৰণহঁতে। দেৱা দাৰ কাঢ়া নিৰ্দেশ চব কাম শেষ নোহোৱালৈকে যেন হোষ্টেলৰ পৰা কোনো নোলায়। কাৰণ এবাৰ হোষ্টেলৰ পৰা ওলাই যোৱাৰ পাছত দীপাৱলীত কাকো কোনেও বিচাৰি নাপায়। কামখিনি কৰি আজৰি হৈ ডিপাৰ্টমেন্টলৈ বুলি ওলাল অভিমন্যু। অনুৰণো সাজু হৈয়ে আছে। এবাৰ সি ময়ূঁৰৰ ৰুম পালেগৈ। ময়ূঁৰে নিজৰ ৰুমৰ লগতে সিহঁতৰ উইংটো আৰু কৰিডৰটো চাকিৰে সজাই আছিল। অভিমন্যুয়ে তাক দেখিয়ে চিঞৰিলে,

"ঐ, বাহিৰত নজ্বলাই ভিতৰত চাকি জ্বলাই আছ যে?"

চাকি কেই গছ সজাই থাকিয়েই ময়ূঁৰে ক'লে,

"যদি নিজৰ ভিতৰ খনেই আন্ধাৰ হৈ থাকে বাহিৰখন পোহৰ কৰি কিবা লাভ আছে জানো?"

Kaushik

অভিমন্যু আচৰিত হৈছিল। প্ৰত্যেকটো বস্তু এটা বেলেগ দৃষ্টিৰে কেনেকৈ চাই এই ল'ৰাটোৱে।

"হ'ব বাৰু, এতিয়া ওলা। ডিপাৰ্টমেণ্ট যাওঁ।" অভিমন্যুৰ কথাত ময়ূঁৰে ক'লে,

"তই যা। মই জুপিতৰা মেমৰ ঘৰলৈ যাম। মেমে মাতিছিল। পাছত লগ পাম।"

"ঠিকে আছে" বুলি কৈ অনুৰণ আৰু বিশ্বজিতৰ লগত ওলাই আহিল অভিমন্যু।

অলপ পাছতে সিহঁত আহি ডিপাৰ্টমেণ্ট পালেহি। Essentialত লগ হৈ প্ৰিয়া, জুৰি, সীমা, নিমিষাহঁতো আহিছিল। আঁতৰৰ পৰাই সন্ধ্যাক দেখিলে সিহঁতে। আকাশী ৰঙৰ এযোৰ চুৰিদাৰ পিন্ধিছে সন্ধ্যাই। বগা চুৰ্ণীখন এফলীয়াকৈ লৈছে। কাণত এযোৰ ওলমি যোৱা ফুলি। ডিপাৰ্টমেণ্টৰ সমুখৰ মজিয়াত বহি ৰংগুলিটোত চাকিবোৰ সজাই আছিল তাই। চাকিৰ পোহৰে তাইৰ মুখখনত যেন অন্য এক ৰং সানিছিল। তলমূৰ কৰি একান্ত মনে কাম কৰি থকা সন্ধ্যাৰ চুলিখিনি আহি মুখখন অলপকৈ ঢাকি ধৰিছিল। চুৰ্ণীখন দীঘলহৈ উলমি আছিল ষ্টেপটোৰ তললৈকে। সিহঁতক দেখি তাই উঠি আহিল। ডিপাৰ্টমেণ্টত অলপ সময় ৰৈ সিহঁত ভিচি ছাৰৰ বঙলালৈ গ'ল। ইউনিভাৰ্চিটীত দীপাৱলীৰ আটাইতকৈ ডাঙৰ বিশেষত্বটো হ'ল ইয়াত গোটেই ইউনিভাৰ্চিটী ষ্টুডেণ্টক ভিচি ছাৰে ঘৰত বিৰিয়ানি খোৱায়। গতিকে নোযোৱাৰ প্ৰশ্নই নাহে। ভিচি ছাৰৰ ঘৰত দীঘলীয়া লাইন। ঘৰটো যেন ৰাজপ্ৰসাদতকৈ কোনো গুণে কম নহয়। সমুখতে এটা পানীৰ ফোঁৱাৰা। কাষতেই ফুলনি। দীপাৱলীৰ বাবে পোহৰেৰে ভৰি আছে গোটেইখন। আজি যে সীমাই ফটো উঠি তৎ পোৱা নাই। প্ৰায় এক ঘণ্টা মানেই লাগিল সিহঁতৰ খাই কৰি ওলাই আহোঁতে।

এপাক খোজ কাঢ়িলে গোটেই কেইটাই। ইউনিভাৰ্চিটীৰ মেইন গেটখন এনেয়ে ধুনীয়া। তাতে সৰু সৰু লাইটবোৰ ওলোমাই দিয়াৰ বাবে আৰু ধুনীয়া লাগিছিল। ৰঙা, নীলা, হালধীয়া লাইটবোৰে চিকমিক কৰি সজাই আছিল সকলোৰে চেনেহৰ জ্যোতি তোৰণ খন। এইফালে ল'ৰা হোষ্টেল কাঞ্চনজংঘাত বাঁহেৰে সজাইছে ভিতৰলৈ সোমোৱা দীঘলীয়া পথটো। বাঁহবোৰ ধেনুভিৰীয়াকৈ সজাই তাত লাইটবোৰ ওলমাই দিছিল। নীলাচলত আকৌ ৰঙীন লাইটবোৰ সৰু সৰু ছাতিৰ আকাৰৰ মাজত ভৰাই ওলোমাই দিছে। চৰাইদেউত লাইটবোৰৰ লগতে তলত পাত্ৰ এটাত পানীৰে গোলাপৰ পাহিবোৰ দি তাত ৰঙীন মমবাতিবোৰ লগাই দিছিল। পাটকাই আৰু নিউ ৱমেনছৰ ৰাস্তাটোও শাৰী শাৰী

Kaushik

লাইটবোৰেৰে মণ্ডপৰ দৰে সাজি উঠিছে। প্ৰতিখন হোষ্টেলৰেই সমুখত লাইটেৰে জিলিকি আছিল হোষ্টেলখনৰ নামটো। ক'ৰবাত ইংৰাজীত, ক'ৰবাত অসমীয়াত। সকলো ফালেই চালে চকু ৰোৱা পৰিৱেশ। পাটকাই আৰু নিউ ৱমেনচৰ সমুখতে বহুত ভিৰ। সন্ধ্যাহঁত সেইখিনি সিচঁৰতি হোৱাৰ দৰে হ'ল। ৰাজদ্বীপ আৰু আৰিফ চৰাইদেউত পায়স খাবলৈ ৰ'ল। সীমা আৰু জুৰিহঁত নিউ ৱমেনচ ফালে আগবাঢ়ি ফটো উঠি আছিল। সন্ধ্যা আৰু অভিমন্যুয়ে বাছষ্টেণ্ডটোতে বহি কথা পাতি আছিল। অনুৰণো ৰাস্তাটোৰ সমুখতে বাছষ্টেণ্ডটোলৈ পিঠি দি কোনোবা ছিনিয়ৰ এজনৰ লগত কথা পাতি আছে। এনেতে অভিমন্যুৰ ফোন অহাত সি অলপ আগুৱাই গ'ল। বাছ ষ্টেণ্ডটোৰ কাষতে থকা বাইক এখনৰ টেংকিটোতে আওঁজি কাৰোবাৰ লগত ফোনত কথা পাতি আছিল সি। সন্ধ্যাই তালৈ চাই আছিল যদিও আগবাঢ়ি যোৱা নাছিল। এনেতে হোষ্টেলবোৰৰ ফালৰ পৰা বাছষ্টেণ্ডটোৰ আগেৰে বাহিৰৰ ফালে আগবাঢ়ি আহি আছিল এখন বাইক। হেলমেট পিন্ধা দুজন আৰোহী। অভিমন্যুৰ কাষ পাওঁতে বাইকখন কিছু ৰখাই দিয়া সন্ধ্যাই ধৰিব পাৰিছিল। কিন্তু তাই সপোনতো কল্পনা কৰা নকৰা কাম এটা কৰিলে বাইকৰ পিছফালে বহা জনে। অভিমন্যুৰ ঠিক ভৰিৰ ওচৰলৈ খুব সাৱধানে এটা ব'ম জ্বলাই পেলাই থৈ স্পীদত আঁতৰিছিল বাইকখন। ফোনত ব্যস্ত থকাৰ বাবে অভিমন্যুয়ে একো গম পোৱা নাছিল। অভিমন্যু ভেঁজা দি আছিল বাইকখনত আৰু তাৰ ঠিক তলতে সেই ব'মটো। ফুটি যোৱাৰ লগে লগে কি এক ভয়ংকৰ ঘটনা হ'ব সি সহজেই অনুমেয়। মাত্ৰ কেই ছেকেণ্ড মানৰ এক ব্যৱধান। সন্ধ্যাই এক মূহুৰ্তও নোৰোৱাকৈ দৌৰি উঠি আহিছিল। ব'মটোৰ শলিতা ডাল পুৰি শেষ নহওঁতেই তাই উঠাই লৈ দলিয়াই দিছিল সমুখৰ ৰাস্তাৰ ফালে। কোন কেনি আছে চাবলৈ যেন সময় নাছিল সন্ধ্যাৰ। সমুখত অভিমন্যুৰ নিশ্চিত বিপদ। এক চেকেণ্ড পলম হ'লেই ঘটি যাব পাৰে ভাবিব নোৱাৰা ঘটনাটো। সেই মূহুৰ্তত কোনফালে কি আছে চাবলৈ যেন সন্ধ্যাৰ ধৈৰ্য নাছিল। অভিমন্যুয়েও কি হৈছে একো তৎ ধৰিব পৰা নাছিল। সি বুজি উঠাৰ আগতেই ব'মটো খুব জোৰেৰে শব্দ কৰি ফুটিছিল। লগতে ওলাইছিল কাৰোবাৰ এক প্ৰাণকাতৰ আৰ্তনাদ। এক প্ৰচণ্ড চিঞৰ। তেতিয়াহে অভিমন্যু আৰু সন্ধ্যা আগুৱাই গৈ দেখে সন্ধ্যাই দলিয়াই দিয়া ব'মটোৰ আঘাত পিঠিত লৈ ৰাস্তাৰ মাজত অৰ্ধচেতন হৈ পৰি আছিল অনুৰণ। চাৰ্টটোত জ্বলি আছে জুইৰ ৰঙা ফিৰিঙতি।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 46

"অনুৰ------ণ"

চিঞৰি উঠিছিল অভিমন্যুয়ে। একো বুজি পোৱা নাছিল সি। কিয় সন্ধ্যাই অনুৰণৰ গালে ব'মটো দলিয়ালে, কি হ'ল একোৱে উমান নাপাই সন্ধ্যাৰ ওপৰতে গৰজি উঠিল,

"পাগল নি তই অলপ? মানুহৰ গালে ব'ম দলিয়াই নেকি?"

সন্ধ্যা থৰ লাগি ৰৈছিল শিল হৈ। ৰাস্তাত অনুৰণ বাগৰি পৰি আছে। পিঠিত তাৰ ব'মৰ আঘাত, যিটো তাই দলিয়াইছিল। থিয়ৰ পৰা বাগৰি পৰাৰ বাবে মূৰত আঘাত পাই তেজো ওলাইছিল। চাৰ্টটো জ্বলিয়েই আছে। সন্ধ্যাই অনুৰণক আঘাত কৰিলে? তাইৰ কাৰণে অনুৰণৰ এই অৱস্থা? মূৰটো আচন্দ্ৰাই কৰিছিল সন্ধ্যাৰ। অনুৰণৰ মূৰত তেজ, গাত জুইৰ ফিৰিঙতি। আৰু সকলো বোৰ সন্ধ্যাৰ কাৰণেই?

অলপ আগলৈকে উৎসৱৰ আনন্দত মতলীয়া ঠাই ডোখৰত হুলস্থূলৰ সৃষ্টি হ'ল। দৌৰা দৌৰি, চিঞৰ বাখৰ। কোনোবাই "পানী পানী" বুলি চিঞৰিছে। কোনোবাই এম্বুলেন্সলৈ ফোন লগাইছে। ওচৰতে থকা দেৱা দা হঁত দৌৰি আহিছে। সকলো জুম বান্ধিছে ৰাস্তাত পৰি থকা অনুৰণৰ অচেতন দেহটোৰ কাষত। সন্ধ্যা আৰু ৰৈ থাকিব নোৱাৰিলে। হিতাহিত জ্ঞান হেৰুৱাই সকলোকে জোৰেৰে থেলি তাই হাতেৰেই জ্বলি থকা অনুৰণৰ চাৰ্টটো আজুৰি ফালি দিলে। জুইৰ ফিৰিঙতিয়ে সন্ধ্যাৰো কোমল হাতদুখন জ্বলাই ক'লা কৰি পেলাইছিল। কিন্তু তাইৰ যেন ভ্ৰূক্ষেপ নাই। জ্বলি থকা চাৰ্টটো দলিয়াই দিছিল কাষলৈ। খালী গাৰে থকা অনুৰণক সাৱটি ধৰিছিল তাই। কোনোবাই পানী আনি দিছিল। তাৰে এচাটি লৈ অনুৰণৰ মুখত মাৰিছিল। এবাৰ চকু মেলিছিল সি। সেহাই সেহাই মাত দিছিল,

"সন.......ন্ধ্যা"

"অঁ ৰণ, মই আছোঁ। একো নহয় তোমাৰ।" বুলি আঁকোৱালি ধৰি আছিল সন্ধ্যাই খালী গাৰে ৰাস্তাত পৰি থকা অনুৰণক। চকুৰ পানী ৰখাব নোৱাৰাকৈ বৈ আহিছিল। এনেতে এম্বুলেন্স পালেহি। অভিমন্যু আৰু দেৱা দাৰ সহযোগত এম্বুলেন্সত ভৰালে অনুৰণক। এম্বুলেন্সত যিহেতু ৰোগীৰ লগত দুজনকহে যাব দিয়ে সেইবাবে অভিমন্যু আৰু দেৱা দায়ে যাবলৈ ওলাল। হঠাৎ সন্ধ্যাই দেৱা দাৰ হাতত ধৰি ফেঁকুৰি উঠিল,

"দাদা, দাদা প্লিজ মোক যাবলৈ দিয়ক না অনুৰণৰ লগত। প্লিজ দাদা।"

"কিন্তু মই পাটকাইৰ প্ৰিফেক্ট। হোষ্টেলৰ ল'ৰা এজনৰ এনেকুৱা অৱস্থাত মইতো যাবই লাগিব।"

কিন্তু দেৱা দাৰ একো বুজনিয়ে কামত দিয়া নাই সন্ধ্যাক। শেষত উপায় নাপাই এম্বুলেন্সত অভিমন্যু আৰু সন্ধ্যাক যাবলৈ দি বাইক লৈ পিছে পিছে গৈছিল দেৱা দা। এম্বুলেন্সৰ দাদাজনে অনুৰণৰ অৱস্থা দেখি চিধা টাউনলৈকে নিছিল। কাৰণ ইয়াৰ হেল্থ চেন্টাৰত দেখালেও ডাক্তৰে তালৈকে ৰেফাৰ কৰিব। মিছন হস্পিতেলৰ অভিমুখে ৰাওনা হৈছিল এম্বুলেন্স। হৰ্ণৰ শব্দটোৰ বাহিৰে চব ফালে নীৰৱতা। মাজে মাজে অনুৰণৰ কেঁকনি আৰু সন্ধ্যাৰ উচুপনি। অনুৰণে অচেতন অৱস্থাতো সন্ধ্যাৰ এখন হাত খামুচি ধৰি আছিল। সন্ধ্যায়ো এৰি দিয়া নাছিল। মাজে মাজে তাৰ উদং পিঠি খনত হাত ফুৰাইছিল। অনুৰণে শিয়ঁৰি চটফটাইছিল। অভিমন্যু প্ৰস্তৰ হৈ বহি আছিল মাত্ৰ। মাজে মাজে কিছু অস্থিৰ হৈছিল। অনুৰণৰ চিন্তাৰ লগতে বুজা নুবুজা বহুতো প্ৰশ্নই অগা দেৱা কৰিছিল তাৰ মনত।

প্ৰায় পোন্ধৰ বিছ মিনিট মানৰ পাছত নাৰ্চিংহোম পালেগৈ সিহঁত। ইমাৰ্জেন্সী ৱাৰ্ডত ভৰাইছিল অনুৰণক। ডাক্তৰো আছিলেই। বাহিৰতে থিয় হ'ব দিছিল অভিমন্যু আৰু সন্ধ্যাক। দেৱা দাও বাইকখন লৈ পালেগৈ। ৱাৰ্ডৰ দুৱাৰখনৰ কাষতে বেৰত ভেঁজা দি ৰৈ আছিল সন্ধ্যা। অভিমন্যু দেৱা দাৰ লগত অলপ আগফালে ওলাই আহিল।

"মই একো গমেই নাপালো ক'ত কি হ'ল দেৱা দা।"

"মই কৈছোঁ শুন" বুলি গোটেই ঘটনাটো কৈছিল দেৱা দাই। তেওঁ পাটকাইৰ চাইন বোৰ্ডখনৰ সমুখত থিয় হৈ থকাৰ বাবে গোটেইবোৰ সমুখৰ পৰাই দেখা পাইছিল। কিন্তু তেওঁ আহি পাইহি মানে সকলোবোৰ ঘটিয়ে গ'ল। ল'ৰা কেইটাই ব'মটো অভিমন্যুৰ ওচৰত পেলাই থৈ যোৱা, সন্ধ্যাই ব'মটো উঠাই ৰাস্তালৈ দলিয়াই দিয়াৰ মাজত মাত্ৰ দুই কি তিনি ছেকেণ্ডৰ পাৰ্থক্য। তাৰ পাছতেই ঘটনাটো। কথাখিনি কৈ দেৱা দাই বুজাইছিল,

"কিন্তু মানিব লাগিব ছোৱালীজনীক। আজি অনুৰণৰ গাত ব'মটো পৰিল, অলপ পুৰিছে ভাল হৈ যাব। কিন্তু যদি ব'মটো তোৰ ওচৰত ফুটিল হেঁতেন, ভাব চোন কি হ'ল হয়। কাৰণ তই বাইকখনত আঁওজি আছিল। টেংকিটোৰ কাষতে পৰিছিল ব'মটো। ভয়ংকৰ কাণ্ড এটাৰ পৰা বচালে আজি তাই।"

Kaushik

তেতিয়াহে নিজৰ ব্যৱহাৰত অনুতাপ হ'ল অভিমন্যুৰ। নভবা নিচিন্তাকৈ সি কিয় যে তাইকে গালি পাৰিছিল। এফালে অনুৰণক আঘাত কৰাৰ দোষ আৰু আনফালে তাৰ গালি খাই সন্ধ্যা চাগে আৰু ভাগি পৰিছে। নিজৰ ওপৰতে খং উঠিল অভিমন্যুৰ। দেৱা দাক ৰ'বলৈ কৈ সি ভিতৰলৈ সোমাই গ'ল।

ইমাৰ্জেন্সী ৱাৰ্ডৰ বাহিৰৰ ৱালখনত মূৰটো পেলাই থিয় হৈ আছিল সন্ধ্যা। চকুৰ পানীৰে তিয়াই আছিল গালদুখন। জুইৰ ফিৰিঙতি লাগি ক'লা হৈ পৰা হাতকেইটা প্ৰচণ্ড বিষ। কিন্তু হাততকৈও বেছি বিষাইছিল তাইৰ বুকুখন। কোনোবাই যেন বেজীৰে খুচি দিছে। তাইৰ কাৰণে আজি অনুৰণ এই অৱস্থাত। সন্ধ্যাই যেন মানি ল'ব পৰা নাছিল। তল সৰা ফুল পাহিও যিজনী ছোৱালীয়ে গচকি যাব নোৱাৰে, তাই আজি আঘাত কৰিলে তাইৰ ইমান ভাল বন্ধুটোক? অনুৰণৰ পিঠিৰ জ্বলা দাগবোৰ মনত পৰিলেই নিজকে চৰিয়াবলৈ মন যায় সন্ধ্যাৰ। অভিক বচোৱাটো জৰুৰী আছিল সঁচা, কিন্তু তাৰ বাবে তাই ইমান অন্ধ হৈ গ'ল নে যে ৰাস্তাৰ সিপাৰে থকা অনুৰণকো নেদেখিলে। সি যদি পিঠি দি নথকা হ'লেতো ব'মটো গৈ তাৰ মুখত পৰিল হেঁতেন। তেতিয়া? নাই, তাই আৰু ভাবিব নোৱাৰে। কান্দোনখিনি ৰাখিবলৈ যাওঁতে চেঁপা মাত এটা ওলাইছিল তাইৰ। এনেতে বাহুত কাৰোবাৰ হাত।

"সন্ধ্যা"

ঘূৰি চাই অভিমন্যুক দেখি ইমান সময়ে ধৰি ৰখা ধৈৰ্যৰ বান্ধ চিঙি গৈছিল সন্ধ্যাৰ। শব্দ কৰি কান্দি উঠিল তাই। অভিমন্যুয়ে আলফুলে সাৱটি ল'লে তাইক বুকুত। মূৰত হাত ফুৰাই লাহে লাহে বুজাইছিল সি,

"হেই পাগলী কান্দিছ কিয়? একো হোৱা নাইতো তাৰ। ঠিক হৈয়ে যাব।"

"সি বহুত কষ্টত আছে অভি। জুইয়ে পুৰিছে তাক। মূৰৰ পৰা তেজ।"

ফেঁকুৰি ফেঁকুৰি কৈছিল সন্ধ্যাই। উশাহটো চুটি হৈছিল তাইৰ। অভিমন্যুয়ে তাইক নিওচৰৰ চকীখনত বহুৱাই দি নিজেও কাষত বহিছিল। তাইৰ মুখখন হাতেৰে ধৰি চকুপানী মচি মচি বুজাইছিল,

"হোৱাটোতো হৈ গ'ল, কি কৰিবি এতিয়া ক। কান্দি থাকিলে ঠিক হ'ব জানো চব?"

সন্ধ্যাই উচুপিয়ে আছিল,

Kaushik

"অভি, মই তাক ইচ্ছা কৰি..."

তাইৰ কৈ নহওঁতেই অভিমন্যুয়ে ক'লে,

"মই গম পাইছোঁ। ছৰী, মই অথনি তোক তেনেকৈ কৈ পালোঁ। আচলতে মাথাই কাম কৰা নাছিল মোৰ। তইয়ে মোক বচালি আৰু মই..." কৈ থাকোঁতেই সন্ধ্যাৰ হাত কেইটাত চকু পৰিল অভিমন্যুৰ। মাখন হেন বগা হাতদুটা ক'লা পৰি আছিল জুইৰ অঙঠা লাগি।

"ঐ, তোৰ হাত" বুলি কৈয়ে উঠি গৈ নাৰ্চ এগৰাকীক মাতি আনিছিল সি। নাৰ্চ গৰাকীয়ে সন্ধ্যাৰ হাতখন ধোৱাই কিবা ক্ৰীম সানি দিছিল। এনেতে ডাক্তৰ জনে সিহঁতক ক'লেহি যে অনুৰণৰ চেন্স আহিছে। পিঠিৰ জখমবোৰত মেডিচিন দিছে। সময়ৰ লগে লগে ভাল হ'ব। ভাগ্য ভাল যে লগে লগে চাৰ্টটো খুলি দিয়াৰ বাবে বেছি পুৰিবলৈ নাপালে। মাত্ৰ থিয় হৈ থকাৰ পৰাই মাটিত বাগৰি পৰাৰ বাবে মূৰত অলপ দুখ পাইছে আৰু চিলাই এটা পৰিছে। বেছি অসুবিধা নাই যদিও আজি ৰাতিটো থকাটো থাকক। কাইলৈ ৰিলিজ ল'ব পাৰিব। কথাখিনি বুজাই ডাক্তৰজন আঁতৰি গ'ল। অনুৰণক কেবিনলৈ উলিয়াই দিছিল। দেৱা দাই কিবা ফৰ্মৰ ফৰ্মেলিটি পূৰা কৰিবলৈ গৈছিল। অভিমন্যুক নাৰ্চগৰাকীয়ে মেডিচিন আনিবলৈ দিয়াত সিও ওলাই গ'ল। কেবিনটোত সোমাই আহিছিল সন্ধ্যা। চকুত তাইৰ তেতিয়াও চকুপানীৰ দাগ। নাৰ্চিংহোমৰ পৰা ৰোগীৰ বাবে দিয়া নীলা ৰঙৰ চোলাটো পিন্ধি বিচনাখনত শুই আছিল অনুৰণ। মূৰত বেণ্ডেজ। ৰুমটো যথেষ্ট ডাঙৰেই। ৰোগীৰ বিচনাখনৰ অলপ আঁতৰত আন এখন বিচনাও আছে। বিচনাৰ কাষতে সৰু টেবুল এখন। বাওঁফালৰ চুকত Attached bathroom। চকু মুদি আছিল অনুৰণে। সন্ধ্যা ওচৰ চাপি সৰুকৈ মাতিলে,

"ৰণ"

চকুকেইটা মেলিছিল সি। অলপ হঁহাৰ দৰে কৰিলে।

"অলপ ভাল পাইছা নে বিষটো?"

সন্ধ্যাই সুধিলে। অনুৰণেও চেঁপা মাতেৰে ক'লে,

"উমম। তুমি আছাই নেকি?"

প্ৰশ্নৰ উত্তৰত আকৌ উচুপিহে উঠিল সন্ধ্যাই,

Kaushik

"ছৰী, মইয়ে তোমালৈ ব'মটো দলিয়াইছিলোঁ" বুলি কথাখিনি চমুকৈ ক'লে তাই, কেনেকৈ অভিক বচাবলৈ গৈ তাই সেইবোৰ কৰিব লগা হ'ল।

"একো নাই সন্ধ্যা। মই দুদিনত ভাল হৈ যাম। কিন্তু তুমি ব'মটো নদলিওৱা হ'লে হয়তো অভিমন্যুক আমি হেৰুৱাব লাগিলহেঁতেন।"

অনুৰণৰ মূৰত আলফুলে হাতখন ফুৰালে সন্ধ্যাই,

"বেছি বিষাইছে?"

"অলপ, একো নাই। ভাল পাই যাম।" অনুৰণে ক'লে। এনেতে দেৱা দা আৰু অভিমন্যু সোমাই আহিল। লগতে আহিছিল পাটকাইৰ ৱাৰ্ডেন প্ৰবীণ শৰ্মা ছাৰ। ছাৰে প্ৰথমে ঘটনাটো গম পোৱা নাছিল। পাছত বেলেগৰ মুখেৰে শুনি দেৱা দাক ফোন কৰি আহি ওলাইছেহি। অনুৰণৰ খবৰ লৈ গহীন মাতেৰে ছাৰে সুধিলে,

"এতিয়া কোৱা, কোনে ব'ম দলিয়াইছিল গা লৈ?"

ছাৰৰ কথাত দুখোজ পিছুৱাই গৈছিল যেন সন্ধ্যা। তাইক কি বা কৰে এতিয়া? বুজি পাবনে যে তাই অভিমন্যুক বচাবলৈ হে কৰিছিল। কিন্তু কোনেও একো ক'বলৈ নাপাওঁতেই অনুৰণে ক'লে,

"কোনেও দলিওঁৱা নাই ছাৰ। মই নিজে ব'মটো জ্বলাই ওপৰলৈ মাৰি দিওঁতে আহি পিঠিত পৰিলহি।"

অনুৰণৰ ফাঁকিত কোনোমতে হাঁহিটো ৰখাইছিল দেৱা দাই। ফাঁকিও দিব নাজানে এইটোৱে। পিছে ছাৰে ধৰিব নোৱাৰিলে,

"একদম মূৰ্খামি কাম কৰা তোমালোক ল'ৰাবোৰে।" এইদৰেই দুই এষাৰ কথা পাতি ছাৰ ওলাই আহিল। দেৱা দাই আগবঢ়াই থৈ আহিলগৈ বাহিৰত। ৰুমত কিছু সময় বহি আছিল অনুৰণ, সন্ধ্যা আৰু অভিমন্যু। ঘটনাটোৰ কথাই পাতি আছিল সিহঁতে। দেৱা দাই বাহিৰ পৰা ব্ৰেড আৰু বিস্কুট আদি লৈ আনিছিল। ভিচি ছাৰৰ ঘৰত বিৰিয়ানি খাই সিহঁতৰ পেট ভৰি আছিলেই। তথাপি সি আনি দিয়াত খাবলৈ ল'লে। খাই খাইয়ে দেৱা দাই ক'লে,

"সোৱণশিৰীৰ পানীৰ মাজত এনে ডেঞ্জাৰাছ ব'ম লুকাই আছে বুলি জনা নাছিলোঁ আগতে।"

Kaushik

অভিমন্যু আৰু অনুৰণে হাঁহিছিল। সন্ধ্যাই লাজত তলমূৰ কৰিছিল। খোৱা বোৱা হ'লত দেৱা দাই তেওঁৰ বাইকৰ ছাবিটো অভিমন্যুৰ হাতত দি তাক আৰু সন্ধ্যাক যাবলৈ দিলে, যিহেতু এম্বুলেন্স ইতিমধ্যে গ'লেই আৰু ৰোগীৰ লগত এজন থাকিলেই হ'ব যেতিয়া তেওঁৱে থাকিব।

"আপুনি নালাগে দাদা। মইয়ে থাকিম অনুৰণৰ লগত।" অভিমন্যুয়ে আপত্তি কৰি কৈ উঠিল।

"মইও নাযাওঁ এতিয়া।" সন্ধ্যাই ক'লে।

দেৱা দাই পিছে গহীন মাতেৰে ক'লে,

"এইবোৰ অঁকৰামি নকৰ। সন্ধ্যা, তুমি হোষ্টেলত একো কৈ অহা নাই। মই বিদিশাক ফোনত কৈছোঁ অলপ পাছত পঠিয়াম বুলি। গতিকে গৈ থাকা তুমিও। আৰু অভিমন্যু, মই থাকোঁতে তহঁতক টোপনি খতি কৰিবলে নিদিওঁ। তই এতিয়া যা, আৰু ৰাতিপুৱা সোনকালে আহি যাবি। তেতিয়া তই ইয়াত থাকিবি আৰু মই যাম।"

উপায় নাপাই অভিমন্যু মান্তি হ'ল। কিন্তু সন্ধ্যাই নুশুনে। তাই থাকিবই। শেষত যেনিবা অনুৰণে বুজাওঁতে যাবলৈ ওলাল। কিন্তু ৰাতিপুৱা ছটাতে অহাৰ চৰ্ত কৰি লৈহে। তাইৰ কেঁচুৱামিত দেৱা দাৰো হাঁহি উঠিল। অনুৰণ আৰু দেৱা দাক এৰি ইউনিভাৰ্চিটী পালেহি অভি আৰু সন্ধ্যা।

Kaushik

অভিমন্যুয়ে সোৱণশিৰীৰ সমুখতে নমাই গৈছিল সন্ধ্যাক। গধূৰ মন এটা লৈ ভিতৰলৈ সোমাই যাওঁতেই তাই দেখিছিল ৰেলিঙৰ সমুখৰ চাকি গছ নুমাই আছে। তেল অকণ আনি আকৌ জ্বলাই দিলে তাই চাকি গছ। চকুদুটা মুদি মনৰ পৰা তাই প্ৰাৰ্থনা কৰিলে অনুৰণৰ যেন সোনকালে ভাল হয়। সন্ধ্যাৰ প্ৰাৰ্থনাৰ শক্তিতেই হ'বলা বাহিৰৰ লাইটবোৰকো নস্যাৎ কৰি উজলি উঠিছিল চাকিগছ।

অভিমন্যু হোষ্টেল পোৱাৰ অলপ পাছতে বিশ্বজিত, ৰাজদ্বীপ আৰু আৰিফ আহিলে ৰুমলৈ। ময়ূঁৰো আছিল তাৰ ৰুমতে। গোটেই ঘটনাটোৰ লগতে অনুৰণৰ বৰ্তমান খা খবৰবোৰ দিছিল সি আৰিফহঁতক। কথাৰ মাজতেই ৰাজদ্বীপে ক'লে,

"সন্ধ্যাক কিন্তু মানিছোঁ দেই। তোমাৰ কিবা হ'ব বুলি তাই জ্বলি থকা ব'মটো হাতত লৈ দলিয়াই দিছে, ধেমালি নি?"

বিশ্বজিতেও যোগ দিলে,

"সঁচা ৰে, ভাবা না কেনেবাকৈ তাইৰ হাততে যদি ফুটি গ'লহেঁতেন। তাই বহুত ভাল পাই ৰে তোমাক অভিমন্যু।"

কিন্তু নাই, অভিমন্যুৰ মনত আজি যেন এবোজা প্ৰশ্ন। লাহে লাহে কৈছিল সি,

"নহয় অ'। আজি অনুৰণৰ সেই অৱস্থাৰ পাছত মই সন্ধ্যাৰ চকুত যেন বেলেগ কিবা এটা দেখিছিলোঁ। আগতে নেদেখা এটা বেলেগ অনুভূতি। অনুৰণক তেনেকৈ দেখি তাই ইমান ভাঙি পৰিছিল যে...."

তাৰ কৈ নহওঁতেই আৰিফে ক'লে,

"হেই, বেছি ভাবিছ অ' তই। সন্ধ্যা যেনেকুৱা ছোৱালী, অনুৰণৰ নহৈ বেলেগ অচিনাকী ল'ৰা এটাৰ হোৱা হ'লেও তাই সেইদৰেই কৰিলে হয়। জানই চোন তাই কাৰো দুখ সহ্যই কৰিব নোৱাৰে। তাতে তাইৰ ভুলৰ কাৰণে অনুৰণৰ তেনেকুৱা হ'ল বুলি ভাবি লৈছে কাৰণেও বেছি দুখ লাগিছে তাইৰ।"

আৰিফৰ কথাখিনিও মিছা নহয়। তথাপি যেন

কৰবাত "কিন্তু" এটা ৰৈ যায়। এই কিন্তুবোৰেই জীৱনটোক সাঁথৰ কৰি সজায়।

অলপ সময় কথা পাতি আৰিফহঁত গ'ল। অকলে পাই অভিমন্যুয়ে ময়ূঁৰক সুধিলে,

"তই কি কৱ? সন্ধ্যা ইমান বিচলিত কিয় হৈছিল?"

একেই শান্ত মাতেৰে ময়ূঁৰে ক'লে,

"সেইটো ভবাতকৈ বৰ্তমান এইটো ভাব তোৰ ওচৰত ব'মটো কোনে পেলাই থৈ গৈছিল? সন্ধ্যাই বাৰু অনুৰণৰ গালৈ ভুলত দলিয়ালে, কিন্তু তোৰ গালৈ ভুলত দলিওৱা নাছিল। তাতে তই বাইকৰ ওচৰত থকা দেখিও ব'ম পেলাই থৈ যোৱা কথাটোৰে কি বুজাই?"

Kaushik

ময়ূঁৰৰ প্ৰশ্নইহে ভবাই তুলিলে অভিমন্যুক। এৰাতো, এতিয়ালৈকে কোনেও এই কথাটো ভবাই নাছিল। কোনোবাটো আছে যি তাৰ ক্ষতি কৰিব বিচাৰিছিল। কোন হ'ব পাৰে বাৰু। কথাবোৰ ভাবি ভাবি বিচনাত পৰিল সি।

পিছদিনা ৰাতিপুৱাই দেৱা দাৰ বাইকত অভিমন্যু আৰু সন্ধ্যা নাৰ্চিংহোম পাইছিল গৈ। সিহঁত যোৱাৰ পাছতে দেৱা দা উভতি আহিল। অনুৰণে কালিতকৈ বহুখিনি ভাল পাইছিল। সন্ধ্যাই টিফিনত লৈ যোৱা পুৰি আৰু ভাজিও খাইছিল। কিছু সময়ৰ পাছত ডাক্তৰ আহি মেডিচিন বোৰ দি ৰিলিজ দিলে। অটো এখনকে ভাৰা কৰি অনুৰণক হোষ্টেললৈ আনিলে সিহঁতে। দিনটো অনুৰণৰ ৰুমত খবৰ ল'বলৈ অহা ল'ৰাবোৰেই ভিৰ কৰিছিলহি। শেষত অভিমন্যুয়ে সেইটো বন্ধ কৰিলে। মূৰত চিলাই পৰাৰ বাবে বেছি কথা বতৰা পাতি থাকিলে কষ্ট হ'ব। ৰাতিও অনুৰণৰ ভাত অভিমন্যুয়ে ৰুমলৈকে আনি দিছিল হি। খাই লৈ সোনকালেই বিচনাত পৰিছিল অনুৰণ। তেনেকুৱাতে সন্ধ্যাৰ মেচেজ,

"Bix tu komise ne olop?"

সন্ধ্যাৰ এতিয়াও ক'ৰবাত বেয়া লাগে যে তাইৰ কাৰণেই অনুৰণৰ এই অৱস্থা হ'ল। দিনটো তাই যিমান পাৰে ফোন কৰি মেলি খবৰো লৈ আছিল। অভিমন্যুক বাৰে বাৰে কৈ থৈছিল সি যেন অনুৰণৰ লগ নেৰে। এতিয়া ৰাতি ভাত খাই চব শোৱাৰ পাছতে তাই মেচেজ দিলে তালৈ।

"O paisu" অনুৰণৰ উত্তৰ।

"Bhat khala ne? Aru medicine lola tu?" অভিমন্যুয়ে সকলো খিনি তদাৰক কৰিবই বুলি সন্ধ্যাই জানে। তথাপি এবাৰ সুধি লৈ নিশ্চিত হ'ব খুজিলে তাই।

"Sob khalu. Tumi mur kiba hobo buli voi khaisila ni?" অনুৰণে সুধিলে। হয়, খাইছিল সন্ধ্যাই ভয়। কিয় খাইছিল তাই নাজানে। কিন্তু এটা শংকাই মনটো অশান্ত কৰি তুলিছিল তাইৰ। তথাপি সেইটো লুকুৱাই তাই লিখিলে,

"Eman hunkale tumar kiba hobole nidiu tu, aru 5 bosor asei tumak kamur dibole, eman joldi kiba hole mur frustration kune hunibo ha?"

কথাখিনি মিছা নহয়। আজিকালি প্ৰায় সকলো কথাই অনুৰণৰ আগত কয় তাই। অভিমন্যুৰ লগত হোৱা কাজিয়াৰ পৰা ঘৰলৈ মনত পৰা লৈকে, মাৰ্কচ কম পোৱাৰ

Kaushik

পৰা হোষ্টেলৰ ছোৱালীৰ চুপতিলৈকে একো বাদ নপৰে। সিও শুনি যায় আৰু তাইক বুজায়। তাৰ সেই সৰু সৰু এটা দুটা শাৰীতে কি যাদু থাকে বুজি নাপাই সন্ধ্যাই, কিন্তু মনটো চোন ফৰকাল হৈ পৰে। নতুনকৈ শক্তি পাই তাই। মেচেজটো seen কৰি reply নিদিয়া দেখি সন্ধ্যাই আকৌ লিখিলে,

"Eku nokola je, thakiba tu hodai?"

অনুৰণে লগে লগেই দিলে,

"Thakim o, asu ei tu moi."

এই আশ্বাস খিনিয়েই যথেষ্ট জীৱনটোৰ বাবে। বিশ্বাসৰ ভেঁটিটো যেন লাহে লাহে মজবুত হৈছিল অনুৰণ আৰু সন্ধ্যাৰ মাজত। একো নোকোৱাকৈয়ে যেন বহু কিবা কৈছিল। একো নোহোৱাকৈয়ে যেন বহু কিবা হৈছিল। এৰা, কিছুমান কথা মুখেৰে কোৱা নাযায়। কিছুমান কবিতা কাগজত লিখা নাযায়। অপেক্ষা মাত্ৰ অনুভৱবোৰৰ উপলব্ধিৰ। ফোনটো থৈ বিচনাত বাগৰিল সন্ধ্যা। অনুৰণৰ লগত সদায় কথা পতাৰ পাছত ওঁঠৰ কোণত হাঁহি এটা লাগি ৰয় অজানিতে। আজিও লাগি ৰৈছিল। "থাকিম অ', আছোঁৰেইতো মই" কথাষাৰে মনটো ভৰাই দিছিল সন্ধ্যাৰ। সিখন বিচনাত বিদিশাই লেপটপত "নায়ক" চিনেমাখনৰ গান এটা লগাই থৈছিল। কলিটো কাণত পৰিলহি সন্ধ্যাৰ,

"মই আছোঁ তোমাতেই,

আছিলোঁ থাকিমে,

তোমাৰ মনক নিতে পোহৰাই...

মতলীয়া বতাহে উৰি আহি ক'লে যে......."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 47

সময়ৰ লগে লগে দ্ৰুতগতিত আগবাঢ়িছিল ক্লাছবোৰ। কাৰণ সমুখত End Term মানে ছেমিষ্টাৰৰ ফাইনেল পৰীক্ষা। অনুৰণৰ মাক দেউতাকহঁত আহিছিল মাজতে। তাক

ঘৰলৈ নিয়াৰ কথাও কৈছিল। পিছে সি নিজেই নাযাওঁ বুলি ক'লে। কাৰণ ফাইনেল পৰীক্ষাৰ পাছত এনেও প্ৰায় ডেৰ মাহৰ বন্ধ পাবই। অভিমন্যু আৰু ময়ূঁৰ থাকেই তাৰ লগত অনবৰতে। কেইদিন মান ক্লাছ নোযোৱাকৈ ঃুমতে আছে সি। অভিমন্যুৰ পৰাই নোটছ বোৰ পাই আছে অৱশ্যে।

এইবোৰৰ মাজতে আহি আছিল তেজপুৰ ইউনিভাৰ্চিটীৰ ড্ৰামা গ্ৰুপ "কৃষ্টি"ৰ নিবেদিত এখন নাটক, "সূৰ্য্যগ্ৰহণ"। সন্ধ্যাই গমেই পোৱা নাছিল। সিদিনা অভিমন্যুয়ে ক্লাছৰ হোৱাটছ এপ গ্ৰুপটোত নাটকৰ বেনাৰৰ ফটোখন পঠাওঁতেহে গম পালে, দুদিনৰ পাছতে নাটক। অভিনয়ত ইউনিভাৰ্চিটীৰেই কেইজন মান ছাত্ৰ ছাত্ৰী। সন্ধ্যাই ককায়েক সিদ্ধাৰ্থও আছে বুলি ভাবিছিল। পিছে সি "মিৰিজীয়ৰী"ৰ কামত লাগি থকাৰ বাবে এইখনত প্ৰত্যক্ষ ভাৱে জড়িত নাই।

ইউনিভাৰ্চিটীৰ ক্লাছ, পৰীক্ষা আদিৰ বিৰক্তিদায়ক সময়বোৰৰ মাজে মাজে এক বিনোদনৰ সোৱাদ দিয়াত কৃষ্টিৰ ভূমিকা অন্যতম। সন্ধ্যাই অভিমন্যুৰ পৰা গম পাইছিল হিম দা, সৌমিক দা আদিকে ধৰি কেইজন মান নাটক পাগলৰ দৰে ভাল পোৱা শিক্ষাৰ্থীক লৈ দুই এজন প্ৰফেচৰৰ তত্তাৱধানত এই গোটটো খোলা হৈছিল। তেতিয়াৰ পৰাই কৃষ্টিয়ে তেজপুৰ বিশ্ববিদ্যালয়ক উপহাৰ দি আহিছে ইখনৰ পাছত সিখন মনোৰম নাটক। প্ৰতি বছৰেই নতুন নতুন শিক্ষাৰ্থী কৃষ্টিৰ সদস্য হয়। পুৰণি সকল ওলাই যায়, আকৌ নতুন সোমাই। সকলোতকৈ ভাল লগা কথাটো হ'ল এই নাটকসমূহৰ ৰচনাৰ পৰা পৰিচালনালৈ, অভিনয়ৰ পৰা সংগীতলৈ, মঞ্চসজ্জাৰ পৰা সাজপোচাকলৈ সকলোখিনি ইউনিভাৰ্চিটীৰ ষ্টুডেন্ট অৰ্থাৎ কৃষ্টিৰ সদস্য সকলেই কৰে। তেনে এক প্ৰচেষ্টাৰে এইবাৰ কৃষ্টিয়ে আগবঢ়াবলৈ গৈ আছে, "সূৰ্য্যগ্ৰহণ"।

নাটক বুলিলে সন্ধ্যা সৰুৰে পৰাই বলিয়া। নিজে কৰিব নাজানে যদিও নাটক চাই খুব ভাল পাই তাই। আগতে ভ্ৰাম্যমাণো চাইছিল। কেনেকৈ যে এজন ব্যক্তিয়ে এটা চৰিত্ৰ হৈ জীয়াব পাৰে কিছু সময়ৰ বাবে হ'লেও, ভাবিলে আচৰিত লাগে। বহুদিন হ'ল এখন ভাল নাটক নোচোৱা। গতিকে কৃষ্টিৰ নাটকখনৰ কথা শুনাৰ পৰাই তাইৰ ততেই নোহোৱা হ'ল। অৱশ্যে সন্ধ্যা বুলিয়ে নহয়, ইউনিভাৰ্চিটীৰ ব্যস্ত জীৱনৰ মাজত এনে অনুষ্ঠান সমূহৰ বাবে প্ৰতিজন শিক্ষাৰ্থীয়েই আগ্ৰহেৰে অপেক্ষা কৰে। সন্ধ্যাইঁতে দেখিছিল, বাছষ্টেণ্ডৰ ৱালৰ পৰা হোষ্টেল আৰু ডিপাৰ্টমেন্টৰ নটিছ বোৰ্ডলৈকে, ফেচবুকৰ পেজৰ পৰা হোৱাটছ এপৰ গ্ৰুপলৈকে সকলোতে "সূৰ্য্যগ্ৰহণ"ৰ প্ৰচাৰ। যেন

Kaushik

এখন চিনেমা মুক্তি পাবলৈ গৈ আছে। চন্দ্রপ্রভা শইকীয়ানী ভৱনৰ পৰা ৰাতি দেৰিলৈকে ভাঁহি আহিছিল আখৰাৰ চিঞৰ বাখৰবোৰ। মুঠতে গোটেই পৰিৱেশটোৰ পৰা, একেবাৰে নাটক ভাল নোপোৱা, হোষ্টেলৰ পৰা বাহিৰলৈ নোলোৱা সকলেও বুজিছিল যে কৃষ্টিৰ নতুন নাটক আহি আছে।

নাটকৰ দিনা দুপৰীয়া ক্লাছৰ পৰা আহি সোনকালেই বিচনাত পৰিল সন্ধ্যা। নাটক সন্ধিয়া ৬ টাৰ পৰা। গতিকে সোনকালে শুই নুঠিলে ছিট নাপাবগৈয়ে। বিদিশা বাই কৈছিল কেনেকৈ গোটেই প্রেক্ষাগৃহটো লোকে লোকাৰণ্য হৈ পৰে। ৬ বজাৰ পৰা নাটক যেতিয়া ৫.৩০ টাতেই যাব লাগিব। সন্ধ্যাহঁতৰ গোটেই বোৰে একেলগে যাবলৈ ঠিক কৰি থৈছে। ইউনিভাৰ্চিটীৰ প্ৰতিটো গ্ৰুপতে এটা নাইবা এজনী এনেকুৱা থাকেই যাৰ ভাগত সদায় ছিট ৰখাৰ পাল পৰে। সেয়া লাগিলে কে বি আৰ অৰ্থ্যাৎ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহৰ নাটকেই হওঁক নাইবা বাছতেই হওঁক। সন্ধ্যাই গম পাইছিল, বিদিশাহঁতৰ গ্ৰুপৰো হেনো ছিট ৰখাৰ দায়িত্ব সদায় ৰীণাৰ। বেচেৰীক ইহঁত কেইজনীয়ে সদায় আগতীয়াকৈ পঠিয়াই দি নিজে একেবাৰে সময়ৰ মূৰত যায়। সিফালে ৰীণাই "ইয়াত মানুহ আছে" "মানুহ আছে ইয়াত" বাক্যশাৰী আওৰাই আওৰাই বহি থাকে। সেইবাবেই এইবাৰ আবেলি বিদিশাহঁতৰ আগত চিঞৰি উঠিল তাই,

"No no no। মই কাৰোলৈকো ছিট ৰাখিব নোৱাৰোঁ। সোনকালে যাম বুলি তহঁত মখা এঘণ্টাৰ মূৰত গৈ ওলাবিগৈ আৰু তাত মই অকলে অকলে মাখি মাৰি থাকিব নোৱৰোঁ।"

দীপা বাই মৰমৰ সুৰত ক'লে,

"হেই এইজনী, কিয় তেনেকে কৈছ। তই থাকিলে বেলেগে ছিট ল'ব নোৱাৰে কাৰণেহে কৈছোঁ। যা না। সাতটা ছিটহে।"

সন্ধ্যাৰ চকু কঁপালত উঠিল। সাত টা ছিট হে??? এজনী মানুহে সাতটা ছিট ৰখাটো ধেমালি নে বাৰু?

"যা না ৰীণা। আমি পপকৰ্ণ লৈ যাম তোলে।" বিদিশাৰ কথাত ৰীণা বাইও হাঁহি পেলালে।

শেষত যেনিবা ঠিক হ'ল ৰীণাৰ লগত সন্ধ্যাও যাব। সন্ধ্যাই তাইৰ লগৰ খিনিৰ বাবে ছিট ৰাখিব আৰু ৰীণাই বিদিশাহঁতৰ কাৰণে। দুইজনী থাকিব যেতিয়া আমনি নালাগে।

Kaushik

কে বি আৰৰ ভিতৰত সোমায়ে চাৰিওফালে চকু ফুৰালে সন্ধ্যাই। এচিৰ শীতলতা বিদ্যমান। তলৰ মজিয়াত গোটেইখনতে ৰঙা দলিচা। ছিটবোৰো নতুন আৰু ধুনীয়া। দুইফালে দুশাৰী ছিটৰ মাজৰ ঠাইখিনি খালী। ষ্টেজটোৰ দুইফালে দুটা এল ই ডি। আঁৰ কাপোৰ পেলাই থোৱা আছে যদিও সিফালে ছেটিংছৰ কাম কৰি আছে বুলি গম পোৱা যায়। একেবাৰে প্ৰথম শাৰীটোত চোফা সদৃশ আসন। তাত মূখ্য অতিথি, ভিচি ছাৰ, ডীন ছাৰ এওঁলোক বহে হেনো। তাৰো পিছৰ দুটা শাৰী প্ৰফেচৰ সকলৰ বাবে সংৰক্ষিত। তাৰ পিছৰ পৰা হে বাকী শিক্ষাৰ্থী সকলৰ বাবে। সন্ধ্যা আৰু ৰীণা গৈ আগফালেই বহিল। পিছফালে বহিলে গেলেৰীৰ চিঞৰৰ পৰা সংলাপেই শুনা নাযায় হেনো। অৱশ্যে গেলেৰীৰ চিঞৰৰ অবিহনে নাটকবোৰো যে আধৰুৱা। বহিয়েই অভিমন্যুলৈ ফোন লগালে তাই। সিও ছিট ৰাখিবলৈ কৈছিল।

"ঐ, আহিছনে?" তাই সুধিলে।

"গৈ আছোঁ কলিজা। অলপ ৰোৱা।" বুলি ফোনটো কাটিলে সি।

ইফালে সিফালে চালে সন্ধ্যাই। দুই এজনকে মানুহ আছিল। মাজৰ খালী ঠাইখিনিত কোনোবাই কেমেৰা ষ্টেণ্ড ঠিক কৰি আছে। কোনোবা কোনোবাই খুব ব্যস্ততাৰে অহা যোৱা কৰি আছে। আগফালে ষ্টেজৰ তলতে মিউজিকৰ মানুহ খিনি। কৃষ্ণমণি দাকো দেখিছিল সন্ধ্যাই তাত। কিছু সময়ৰ পাছত নিমিষা, সীমাহঁতো পালেহি। তাৰ পাছতেই ৰাজদ্বীপ, আৰিফ আৰু বিশ্বজিত। কিবা কিবি কথা পাতি থকাৰ মাজতে সন্ধ্যাই দেখিলে কে বি আৰৰ মূল দুৱাৰখন খুলি সোমাই আহিছে সিদ্ধাৰ্থ আৰু শিখা বা। সিহঁত আহি ওচৰ পোৱাৰ লগে লগেই সন্ধ্যাই চিঞৰিলে,

"ৱাহ বেলেগ আৰু দেই। যোৱা হৈহে নাটক চাই।"

শিখাই লাজতে তলমূৰ কৰিছিল। সিদ্ধাৰ্থই সন্ধ্যাই কাষলৈ আহি ক'লে,

"পিছে তোৰ জন নাই নেকি? অকলে অকলে চোন।"

তাৰ কথাত নিমিষাহঁতেও হাঁহি দিছিল।

"যাঃ এইডাল।" বুলি ক'লেও খং উঠিছিল সন্ধ্যাৰ। এতিয়ালৈকে আহিবৰ হোৱাই নাই এইটোৰ। আকৌ ফোন লগালে। নাই ৰিং হৈ হৈ কাটি গ'ল। অলপ পাছত বিদিশা বা,

Kaushik

দীপা বা হঁতো পালেহি। এই অভিটো ক'ত থাকিল বাৰু? এনেতে ময়ূঁৰক দেখি মাতিলে সন্ধ্যাই,

"ঐ, অভি ক'ত?" সিহঁতৰ শাৰীটোতেই সোমাই আহি ময়ূঁৰে পিছফালে দেখুৱাওতে হে সন্ধ্যাই দেখিলে, পিছফালৰ শাৰীত প্ৰেৰণাহঁতৰ কাষত অভিমন্যু। লগে লগে আকৌ খং চুলি পালেগৈ তাইৰ। এই ল'ৰাটো কিয় এনেকুৱা। ছিটটো জুৰিক ৰাখিবলৈ কৈ তাই সিহঁতৰ ফালে আগুৱাই গ'ল। নিমিষাই হাঁহি হাঁহি কৈছিল,

"আজি অভিমন্যু শেষ।"

প্ৰেৰণাহঁতৰ ওচৰ পাই সন্ধ্যাই যিমান পাৰি সিমান হাঁহি মুখেৰে ক'লে,

"প্ৰেৰণা বা, হোষ্টেলৰ পৰা বনশ্ৰী বায়ে কল কৰিছিল। তোমাৰ ওচৰত ছিট আছে যদি ৰাখিবলৈ কৈছে। মই আকৌ আমাৰ লগৰ মহাপুৰুষ কেইজনলৈ ছিট ৰাখি থৈছোঁ যে, নহ'লে মোৰ ওচৰতেই বহিব পাৰিলে হেঁতেন।"

অভিমন্যুয়ে ভয়ে ভয়ে চাইছিল সন্ধ্যালৈ। কিহে পাইছিলনো তাক এইজনীৰ লগত ইয়াত বহি ল'বলে। আজি নাটক চোৱাব আৰু। কোনো বনশ্ৰীয়ে যে ফোন কৰা নাই সি ভালকৈয়ে জানে। সন্ধ্যাই খণতে এইয়া কৰিছে। সন্ধ্যাই আশা কৰা মতেই প্ৰেৰণাই ক'লে,

"অহ, বনো আহিব নেকি? অ' অভিমন্যু, বেয়া নোপোৱা যদি তুমি সেইফালৰ ছিট এটাত বহাগৈ না। মোৰ ৰুমমেট আহি আছে মানে।"

বচ, হৈ গ'ল সন্ধ্যাৰ কাম। অভিমন্যুলৈ বিশেষ ভংগীমাৰে চকু টিপ এটা মাৰি গুছি আহিল তাই। পিছে পিছে প্ৰেৰণাক "হ'ব একো নাই" বুলি কৈ অভিমন্যুও আহিল। সন্ধ্যাৰ কাষৰ ছিটটোত সি বহিবলৈ লওঁতেই সন্ধ্যাই ক'লে,

"উঠ, নোৱাৰ ইয়াত বহিব।"

"কি নো অ', মইতো এনেও তোৰ লগতে বহিম। এনেই হে তাত অকণ বহি কথা পাতিছিলো।" অভিমন্যুয়ে ক'লে।

"ৱাহ, কথা পাতিছিলো !! মই এঘণ্টা ধৰি তোলে ছিট ৰাখি থৈছোঁ খবৰ আছে? এইবোৰ কাৰণতেই তোক দেখিবলৈ মন নাযায়।"

Kaushik

উশাহ নসলোৱাকৈ কোৱা সন্ধ্যাৰ কথাৰ উত্তৰত অভিমন্যুয়ে তাইৰ চকুলৈ চাই মৰমেৰে ক'লে,

"মোৰ আকৌ অনবৰতে তোকেই চাই থাকিবলৈ মন যায়।"

লগে লগেই জুৰিহঁতে চিঞৰি উঠিছিল,

"আই ঐ দেহি, কি প্ৰেম।"

"কি মৰম।"

হাঁহো নাহাঁহোকৈ হাঁহিটো সৰি পৰিছিল সন্ধ্যাৰ। তেনেকুৱাতে লাইট অফ হ'ল। নাটক আৰম্ভ হোৱাৰ আগজাননী। লগে লগেই গেলেৰীৰ পৰা ভাঁহি আহিছিল উকিবোৰ। তাৰ মাজতেই ষ্টেজত উঠিছিল চন্দ্ৰালী বা। তাইয়ে আৰম্ভ কৰিছিল,

"তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহৰ সমূহ দৰ্শকক এই সুন্দৰ সন্ধিয়াটিলৈ মই চন্দ্ৰালী শৰ্মাই জনাইছো নমস্কাৰ আৰু স্বাগতম।"

গোলপীয়া ৰঙৰ এযোৰ বোৱা চাদৰ মেখেলা পিন্ধিছিল চন্দ্ৰালী বাই। চুলিখিনি এফলীয়াকৈ মেলি লৈছিল। বাওঁফালে থুঁতৰিৰ কাষতে তলতে জিলিকি থকা তিলটোৱে তাইৰ হাঁহিটো আৰু মৰমলগা কৰি তোলে। সদায় হাঁহি থকা মুখখনৰ লগতে মৰমসনা মাতটোৰ বাবেই চন্দ্ৰালী সকলোৰেই প্ৰিয় আৰু চিনাকি নাম। ঘোষণাৰ পাছতেই আৰম্ভ হৈছিল নাটক। কৃষ্ণমণি দাৰ "গ্ৰহণ গ্ৰহণ সূৰ্যগ্ৰহণ" গানটোৱে কঁপাই দিছিল কে বি আৰ। সন্ধ্যাহঁতে মন্ত্ৰমুগ্ধ হৈ চাইছিল। সুন্দৰ অভিনয়, চোকা সংলাপ, কাহিনীৰ ৰহস্যতাৰ মাজত কেনেকৈ দুঘণ্টা পাৰ হ'ল সিহঁতে যেন ক'বই নোৱাৰিলে। জাউৰিয়ে জাউৰিয়ে হাত চাপৰিৰ মাজত শেষ হৈছিল নাটকৰ সন্ধিয়াটো। এনেকুৱা কত যে সন্ধিয়াৰ চাগে সাক্ষী এই কে বি আৰ। ই যেন এক প্ৰেক্ষাগৃহ নহয়। নাটক ভাল পোৱা সকলৰ বাবে কে বি আৰ এক মন্দিৰ। সৃষ্টিৰ মন্দিৰ। য'ত সদায় হয় প্ৰতিভা আৰু কৃচ্ছসাধনাৰ নিৰ্মল বন্দনা।

নাটকৰ পাছতেই তেজপুৰ বিশ্ববিদ্যালয়ত আহিব লগা বস্তুটো অকল ফাইনেল পৰীক্ষা। লাহে লাহে সন্ধ্যা আবেলি লাইব্ৰেৰীলৈ যাব লৈছিল। সিদিনা বহু দিনৰ মূৰত তাই মহামায়া ওলাল গৈ। গৈ দেখে বকুল দাই মুখ ফুলাই বহি আছে,

Kaushik

"হ'ব নামাতিবি। ককায়েৰ এটা যে আছে, পাহৰিয়েই যাঁৰ তহঁতে।"

"নহয় অ' বকুল দা। মাজতে বহুত কিবা কিবি হ'ল জানে।" বুলি বকুল দাক কৈ গৈছিল সন্ধ্যাই সকলোবোৰ। মনজিতৰ পৰা অনুৰণৰ দুৰ্ঘটনাটোলৈকে। যেন তাই ঘৰলৈহে আহিছে। মহামায়া এনেকুৱাই, ঘৰৰ পৰা আঁতৰতো ঘৰৰ অনুভৱ কৰায়।

"ইচ, এই আজিকালিৰ ল'ৰাবোৰো বৰ সাংঘাতিক দেই। বাচি থাকিবি ঔ আইজনী।"

সন্ধ্যাক বৰ মৰম কৰে বকুল দাই। তাই ছোৱালীজনীয়ে তেনেকুৱা, এবাৰ লগ পালেই ভাল লগাব পাৰে। এনেতে চন্দ্ৰালীও সোমালহি তাত,

"সন্ধ্যা, কি খবৰ? সিদিনা সেই ল'ৰাজনৰ গাত যে ব'ম পৰিছিল, ঠিকে আছে নে বাৰু?"

সিদিনা সেই জুমটোত চন্দ্ৰালীও আছিল। সন্ধ্যাই ক'লে অনুৰণৰ খবৰখিনি। প্ৰশান্ত দাই সিহঁত অহা দেখিয়েই চাহ আনিবলৈ গৈছিল। চাহ খাই কিছু সময় কথা পাতি উভতি আহিল সন্ধ্যা।

অনুৰণ এতিয়াও সম্পূৰ্ণ ৰূপে সুস্থ হোৱাগৈ নাই। সন্ধ্যাই যেতিয়াই তাৰ কথা ভাবে, এক অজান গ্লানিবোধে আৱৰি ধৰেহি তাইক। খুব বেছি খং উঠে নিজলৈ। তাইক অভিমন্যুয়ে বুজাইছে। ৰুমত বহু বাৰ বিদিশাইও বুজাইছে। কিন্তু তেও যেন ক'ৰবাত তাই অস্থিৰ হৈ পৰে। কেতিয়াবা পঢ়ি থকাৰ মাজতে হঠাৎ কথাবোৰ মনলৈ আহে। অনুৰণৰ যে প্ৰাণকাতৰ চিঞৰটো। অকণমান গৰম পানীত হাতটো লাগিলেই কেনেকুৱা কষ্ট পাওঁ আমি, তেনেস্থলত জুইয়ে পোৰাৰ অনুভৱ কি সেয়া বুজে সন্ধ্যাই। চন্দ্ৰালীৰ লগত খোজ কাঢ়ি গৈ থাকোঁতে এইবোৰ কথাই ভাবি আছিল সন্ধ্যাই। তাইৰ অন্যমনস্কতা ধৰিব পাৰিয়ে চন্দ্ৰালীয়ে সুধিলে,

"কি হ'ল সন্ধ্যা? অথনিৰে পৰা মন কৰিছোঁ তুমি কিবা ভাবি আছা।"

বেলেগে সোধা হ'লে হয়তো সন্ধ্যাই "একো নাই" বুলি ফালৰি কাটিলে হেঁতেন। কিন্তু চন্দ্ৰালী বাক বিনা দ্বিধাই মনৰ অস্থিৰতা খিনিৰ কথা ক'লে তাই। উত্তৰত চন্দ্ৰালীয়ে ক'লে,

"হয় কেতিয়াবা এনেকুৱা। তাতে আমি মানুহবোৰ খুব ভাবুক আৰু আৱেগিক। সেই বাবে আমাৰ লগত বেছি হয়। মোৰো হয়। তেতিয়া মই কি কৰোঁ জানা? এবাৰ মহাভৈৰৱৰ পৰা আহোঁ গৈ। মনটো এনেই কিবা ভাল লাগি আহে তাত গৈ। তুমি

Kaushik

এবাৰ গৈ আহা নহ'লে। এই কেইদিন মই অলপ ব্যস্ত আছোঁ, নহ'লে মইয়ে লৈ গ'লো হেঁতেন।"

চন্দ্ৰালী বাৰ কথাটো সন্ধ্যাইও ভাবিলে। হয়, কোনোবাই হয়তো ইয়াক অন্ধবিশ্বাস বুলি উৰাই দিব পাৰে। কিন্তু মনৰ প্ৰশান্তি আধ্যাত্মিকতাতকৈ আন একোৱেই দিব নোৱাৰে। সেইবাবেই তাই ঠিৰাং কৰিলে এবাৰ মহাভৈৰৱলৈ যোৱাৰ কথা। অহা দেওবাৰেই যোৱা ভাল হ'ব। পিছে লগত কাক নিয়া যায়? কথাটো বিদিশাক কওঁতে তাই আকৌ বেলেগ ফালেহে পোনালে,

"হেই বেঙী, মহাভৈৰৱ হৈছে সঁচা প্ৰেমৰ সাক্ষী। মনৰ পৰা কাৰোবাক বিচাৰিলে ইয়াত পাইয়েই। তই মোৰ লগত যোৱাতকৈ অভিমন্যুক লগ নধৰ কিয়? এইবোৰ জেগালৈ নিজৰ মৰম বোৰৰ লগতহে যায়।"

বিদিশাৰ কথাত হাঁহি উঠিলেও পিছত ভাবিলে সন্ধ্যাই। এৰাতো, অভিমন্যুক লগ ধৰিলে কেনে হয়? এনেও বহুদিন হ'ল, সিহঁত অকলে ক'লৈকো যোৱাই নাই। কথাটো ভাবিয়ে ফোনটো লগালে তাই। আজি কথা পতা হোৱাই নাই। অনুৰণৰো খবৰ লোৱাই নাই।

"কোৱা জান?" ফোন ধৰিয়ে আৰম্ভ মানে। তাই পিছে ছিৰিয়াছ হৈয়ে সুধিলে,

"ক'ত আছ? অনুৰণ ঠিকে আছে নে?"

অভিমন্যু যেন অলপ ৰৈ গৈছিল। সন্ধ্যাই "ঐ" বুলি মতাত ক'লে,

"এইটো কথা মোক সোধাতকৈ তই চোন চিধা অনুৰণকে সুধিব পাৰ। সিও ভাল পাব।"

"তাক সুধিলেতো সি ভাল বুলিয়ে কয়। সেইবাবেহে তোক সুধিছোঁ।" খঙেই উঠিছিল সন্ধ্যাৰ। কথাই সুধিব নোৱাৰি ইয়াক।

"ভালেই তাৰ।" বুলি অভিমন্যুয়ে কোৱাৰ পাছত তাই আচল কথাটো উলিয়ালে,

"শুন না, দেওবাৰে এবাৰ মহাভৈৰৱৰ পৰা আহোঁ ব'ল না।"

"দেওবাৰে যে ক'লৈকো যোৱাৰ কথা মোক নক'বি দেই। টোপনি বাদ দি মই যাব নোৱাৰো ভাই।"

Kaushik

একে আষাৰে না কোৱাত খঙেই উঠিল সন্ধ্যাৰ। ফোনটো কাটি দিলে তাই। ইয়াক কথা কয় নেকি আৰু? তাৰ পাছত জুৰি, সীমা, নিমিষা বহুতকেই সুধি চালে। নাই, কাৰোবাৰ যদি কিবা অসুবিধা, কাৰোবাৰ গা বেয়া ইত্যাদি ইত্যাদি। আচলতে পৰীক্ষাৰ সময়ত কোনো ওলাই যাব নোখোজে কেম্পাছৰ পৰা। মনটো মৰি গ'ল সন্ধ্যাৰ। যোৱা নহ'বই চাগে তাইৰ।

ৰাতি ভাত খাই সদায় পতাৰ দৰে অনুৰণৰ লগত মেচেজত কথা পাতোঁতে এই কথাটোও উলিয়ালে সন্ধ্যাই। বিশেষকৈ অভিমন্যুয়ে একে আষাৰে নাযাওঁ বুলি কোৱাত তাইৰ দুখ লাগিছিল। হয়ওতো, আকুলতাৰ সলনি যেতিয়া অৱহেলা আহে অভিমান ক'ত জাগিব? হেঁপাহৰ সলনি যেতিয়া অজুহাত আহে ভালপোৱা ক'ত থাকিব !

"Tar sage kiba problem ase, eku nai tumi akou ebar koi sua suun. Nohole priya hotok xudhi sua"

অনুৰণে দিলে।

"Nai, kunu e najai. Jua nohoi aru mur." খং আৰু দুখেৰে সন্ধ্যাই দিছিল।

"Hobo, mon bea koribo nalage. Kunu najai jodi moi e loi jam." অনুৰণৰ কথাত সন্ধ্যাই আপত্তি কৰি উঠিছিল,

"Pagol ni, enei ga bea tumar.. nalage" তাৰ এই অৱস্থাত তাই কেনেকৈ টাউনলৈ নিয়ে বাৰু? তাতে আগত পৰীক্ষা।

কিন্তু অনুৰণে "Eku nohoi o, parim" বুলি দিয়াত তাই মান্তি হ'ল। দেওবাৰ অৰ্থাৎ পৰহিলৈ ৰাতিপুৱাই সিহঁত মহাভৈৰৱলৈ যাব।

মোবাইলটো থৈ শুবলৈ লওঁতেই ফোনটো বাজিল। অভিমন্যুয়ে কৰিছে,

"ঐ, মোক বেয়া পালি নি অথনি? মই খেল চাই আছিলোঁ মানে।"

"হ'ব দে।" বুলি ক'লে সন্ধ্যাই। তাই জানে, তাৰ পৰা অৱহেলা পোৱাটো একো নতুন কথা নহয়। কিন্তু বিশেষজনে দিলে যে অৱহেলাও আপোন।

"শুন না, আমি কাইলৈকে যাওঁ ব'ল মন্দিৰ। কাইলৈওতো ক্লাছ নাই। দেওবাৰলৈ নৰওঁ তেতিয়া। ক, যাবি নে?"

অভিমন্যুৰ কথাত কি উত্তৰ দিব ভাবি নাপালে সন্ধ্যাই। কি ক'ব তাই এতিয়া? অনুৰণৰ লগত যাব বুলি অভিক কৈ দিব নে অনুৰণক অভিমন্যুয়ে ফোন কৰিছে

Kaushik

বুলি কৈ তাৰ লগত নাযাওঁ বুলি ক'ব? হয়, তাইৰ মন আছিল অভিমন্যুৰ লগতেই যাবলৈ। কিন্তু সি নাযাওঁ বুলি কওঁতে যে কেৱল তাইৰ মনটো ভাল হওঁক বুলিয়ে অনুৰণে যাম কৈছিল। তেন্তে? কি কৰে এতিয়া? আকৌ যেন এটা চাকনৈয়া।

(আগলৈ)

#নিৰিবিলি

Part 48

"ঐ, ক আকৌ। যাবি নে?"

ফোনটো কাণতে লৈ থৰ হৈ থকা সন্ধ্যাক আকৌ সুধিলে অভিমন্যুয়ে। ভাবি পোৱা নাই সন্ধ্যাই। এই দোমোজাবোৰ কিয় আনে বাৰু জীৱনে। অভিক নাযাওঁ বুলিওতো তাই ক'ব নোৱাৰে। কিন্তু অনুৰণক নালাগে যাব বুলিনো কেনেকৈ কয়? শেষত উপায় নাপাই "চাওঁচোন, তোক ক'ম দে" বুলি ফোনটো থ'লে তাই। গাৰুটো বুকুলৈ আনি আকৌ ভাবিবলৈ লাগিল। কি কৰা যায়। তাইৰ মনত পৰিছিল, এদিনতো অনুৰণেই কৈছিল অভিমন্যু আৰু তাই একেলগে সময় কটাব লাগে বুলি। তাইও বিচাৰে, তেনেহ'লে এতিয়া কিয় খেলিমেলি লাগিছে তাইৰ। নাই, অনুৰণে বুজিব। তাকেই ক'ব নেকি তাই? এবাৰ whatsapp টো অন কৰিলে। অনুৰণলৈ কিবা এটা লিখিও আকৌ কাটি দিলে। নাই নাই। তাৰ সৰলতাৰ তাই এনেকৈ লাভ উঠাব নোৱাৰে। লাভ উঠোৱাইটো হৈছে। যেতিয়া অভিয়ে নাযাওঁ ক'লে তেতিয়া তাক লগ ধৰি এতিয়া আকৌ অভিয়ে যাম ক'লে বুলিয়ে তাক বাদ দিয়াটো লাভ উঠোৱা নহয় নো কি। সন্ধ্যাই সকলো কৰিব পাৰে, কিন্তু মানুহক ব্যৱহাৰ কৰিব নোৱাৰে। তাতকৈ অভিমন্যুকে কৈ দিব যে তাই অনুৰণৰ লগত যাব। সি আকৌ বেয়া নাপাইতো। নাপাই কিয় বেয়া পাব। সন্ধ্যাতো কোনো অচিনাকি ল'ৰাৰ লগত যোৱা নাই। অনুৰণ তাইৰ ভাল বন্ধু বুলি অভিয়েও জানে। গতিকে একো নহয়। সেই ভাবিয়ে অভিমন্যুলৈ ফোন লগালে তাই। ৰিং হৈ হৈ কাটি গল। হ'ব পাছত সি কল বেক কৰিলে কৈ দিব। সি কল কৰে মানে বিচনাত পৰি এনেই youtube টোকে খুলিলে।

Kaushik

সন্ধ্যাৰ ফোনটো কাটিয়ে বিচনাতে মোবাইলটো থৈ অনুৰণৰ ৰুমলৈ গ'ল অভিমন্যু। সদায় শোৱাৰ আগতে তাৰ এবাৰ খবৰ লৈ অহাটো অভিমন্যুৰ অলিখিত নিয়ম তথা অভ্যাসেই হৈ গৈছে। ৰুমত সোমাই দেখে শুবলৈ লৈছে অনুৰণ।

"ঐ, ঠিকে আছা নে? মেডিচিন ল'লা তো?"

অভিমন্যুক দেখি বিচনাত উঠি বহি লৈ ক'লে অনুৰণে,

"ঐ আহা, বহা। খালোঁ খালোঁ চব।"

"নাই, নবহো দিয়া। সোনকালে শুই যাওঁ। কাইলৈ এফালে যোৱাৰ কথাও আছে।"

থিয় হৈয়ে অভিমন্যুয়ে ক'লে।

"কলৈ?" পৰীক্ষা ৰ আগে আগে বাহিৰত খাবলৈও নোযোৱা অভিমন্যু ক'ৰবালৈ যাব বুলি শুনি কিছু আচৰিত হৈছিল অনুৰণ।

"সন্ধ্যা মহাভৈৰব লৈ যায় হেনো। অথনিয়ে কল কৰিছিল। মই আকৌ খেল চাই আছিলোঁ ঘপ কৈ নাযাওঁ বুলি কৈ দিলোঁ। পাছত মোৰে বেয়া লাগিল। আকৌ ফোন কৰি মনাব লগা হৈছে। এতিয়া কাইলৈকে যায় নেকি সুধিছোঁ তাইক।"

অভিমন্যুৰ কথা খিনিৰ লগে লগে সৰু মাতেৰে অনুৰণে সুধিলে,

"সন্ধ্যাই কি ক'লে, যাব নে?"

"সেইটো হে গম নাপাওঁ বে। চাওঁ চোন বুলি কৈয়ে কাটি দিলে ফোনটো। সঁচা কৈছোঁ অনুৰণ, পৃথিৱীত চবতকৈ টান কামোটোয়ে হ'ল এই ছোৱালী বোৰক ভুলোৱা।" কৈ কৈ জোৰেৰে হাঁহি দিলে অভিমন্যুয়ে। অনুৰণেও হাঁহিছিল। মাত্ৰ শেঁতা পৰা হাঁহি। অভিমন্যুয়ে "যাওঁ দিয়া" বুলি ওলাই যোৱাৰ পাছতে অনুৰণে মেছেজ লিখিলে সন্ধ্যালৈ,

"Oi, sorry moi jabo nuarim. Mane mur relation r dada ejon ohar kotha koise kailoi nohole sunday mane porohile. Beya napaba ha"

খৰকৈ মেছেজ টো লিখি মোবাইলটো ওলোটাই থৈ বিচনাত পৰি জোৰেৰে চকু কেইটা মুদি দিলে অনুৰণে। সৰি পৰিছিল কেঁচা হুঁমুনিয়াহ এটা।

Kaushik

সন্ধ্যা অলপ আচৰিত হ'ল অনুৰণৰ মেচেজটো পায়। তাৰ সমস্যাটো তাইও বুজিছে। কিন্তু, এনেকৈতো কথা নকয় অনুৰণে। প্ৰথমতে এটা সৰু মেচেজ দিব "oi, xula ni" তাৰ পাছত লাহে লাহে কথাটো ক'ব। কিন্তু এনেকৈ এটা দীঘলীয়া মেচেজত গোটেই কথাখিনি সামৰি কোৱা অভ্যাস অনুৰণৰতো নাই। মেচেজটো পঢ়ি এনেকুৱা লাগিছে যেন কিবা বাধ্যত পৰিহে সি মেচেজটো দিছে, আৰু সোনকালে দিলেই যেন সি আজৰি হয়। কিয় বাৰু? কিন্তু সেইটো কথা অনুৰণক সোধাৰ কোনো উপায় নাই সন্ধ্যাৰ। কাৰণ তাই জানে, অনুৰণে তাইৰ কথাবোৰ ঠিকেই শুনে কিন্তু নিজৰ এটা কথাও আজিলৈকে কৈ পোৱা নাই। কেতিয়াবা তাই উপযাচিয়ে সোধে, "তোমাৰ কি একো কথা নাথাকে নেকি ক'বলৈ"। শান্ত হাঁহিটোৰেই সি কয়, "নাই অ', তুমি কোৱা।"

কথাবোৰ ভাবি থাকোঁতেই অভিমন্যুয়ে কল কৰিলে,

"ঐ, ক ফোন কৰিছিলি?"

"উমম, কাইলৈ যাম দে। ৰাতিপুৱা সোনকালে উঠিবি।" সন্ধ্যাই ক'লে।

অভিমন্যুয়ে যেন স্বস্তিৰ নিশ্বাস এৰিলে। কিয় জানো আজিকালি সন্ধ্যাই ওফোন্দ ধৰিলে সিও বেছি সময় শান্তিৰে থাকিব নোৱাৰে চোন। "ঠিক আছে" বুলি কৈ ফোনটো কাটিলে সি। তাৰ ফোনটো থৈ অনুৰণলৈ মেছেজ লিখিলে তাই,

"Its ok.. abhi e jam koise kailoike.."

সিও প্ৰায় লগে লগেই দিলে,

"Borhiya, all the best dei" লগত দুটা emoji "☺☺"

হাঁহি উঠিছিল সন্ধ্যাৰ। তাই এনেয়েহে ভাবি আছিল। অনুৰণৰ emoji কেইটাই যেন বুজাই দিলে কথাবোৰ তাই ভবাৰ দৰে নহয় বুলি। ফোনটো থৈ বিচনাত পৰিল তাই। সঁচাকৈ, টেকনলজীবোৰে কিমান সলনি কৰিলে নহয়? আগতে দুখবোৰ লুকুৱাবলৈ হাঁহিৰ উৰণি ল'ব লগা হৈছিল আৰু আজিকালি দুটা emoji য়েই যথেষ্ট।

পিছদিনা ৰাতিপুৱা সোনকালে উঠিল সন্ধ্যা। ফোন কৰি অভিমন্যুকো জগালে। উঠিয়ে বাথৰুমত সোমাল। এনেও ক'ৰবালৈ যাবলৈ ওলালেতো তাইৰ দেৰি লাগেই, তাতে আজি মন্দিৰ যাব বুলিয়েই মূৰ ধুইছে।

Kaushik

বাছলৈ ৰৈ নাথাকি টেম্পুতে যাব বুলি কৈছিল অভিমন্যুয়ে। সেই বাবেই সি আহি সন্ধ্যাৰ হোষ্টেলৰ আগফালে ৰৈছিলহি। সন্ধ্যা নামি আহিছিল সোৱণশিৰীৰ পৰা। এযোৰ বগা ৰঙৰ চুৰিদাৰ পিন্ধিছিল তাই। সৰু সৰু নীলা ফুল থকা। দীঘল চুৰ্ণীখন এফালে কোঁচাই আনটো ফালে মেলি লৈছিল। চকুত অলপ কাজল আৰু কপালত এটা সৰু ফোঁট। তিতা আৰু মেলি থোৱা চুলিখিনিয়ে বাহুটো অলপকৈ তিয়াইছিল। কপালৰ আগফালে লিপিট খাই আছিল তিতি থকা চুলি এডালো। সন্ধ্যাৰ সদ্যস্নাতা ৰূপত চঞ্চল অভিমন্যুও যেন থিৰ হৈ গৈছিল।

"ঐ, ব'ল আকৌ।"

সন্ধ্যাই ক'লে। সিহঁত মেইন গেটৰ ফালে আগবাঢ়িল। ৰাতিপুৱা সোনকাল হৈ থকাৰ বাবে চাৰিওফালে মানুহ নাছিলেই। মাত্ৰ চৰাইৰ চি চি মাত। কুঁৱলীবোৰ যোৱাই নাই তেতিয়াও। পোহৰৰ মাজতো কুঁৱলীয়ে ধোঁৱাৰঙী আঁচলেৰে যেন ঢাকি ৰাখিছিল চৌহদটো।

গেটখনৰ সোঁফালে থকা মন্দিৰটোৰ সমুখতে ৰাস্তাটোৰ সিটো পাৰে লাইন লগাই থাকে টেম্পুবোৰ। কোনোবাখন পৰোৱা চাৰিআলিলৈকে, কোনোবাখন মিছন চাৰিআলিলৈকে। কিন্তু মানুহ ফুল নহ'লে ইহঁত লৰচৰেই নকৰে। সেইবাবেই বহু সময় বহিব লাগে। এনেই মানুহ ভৰ্তি হৈ যায় বাৰু, কিন্তু এই পৰীক্ষাৰ সময়ত তাতে শনি বাৰে ৰাতিপুৱা ক'ত পেচেঞ্জাৰ পাব। তথাপি অলপ সময় ৰোৱাৰ পাছত কেইজন মানুহেৰেই টেম্পুখন আগবাঢ়িল।

Kaushik

মহাভৈৰৱ মন্দিৰৰ সমুখত নামিল সিহঁত। মহাভৈৰৱ মন্দিৰ ; তেজপুৰৰ গৌৰৱ, স্বাভিমানৰ প্ৰতীক। জনশ্ৰুতি অনুসৰি বাণ ৰজাই সজোৱা এই মন্দিৰতে হেনো তেওঁৰ জীয়ৰী ঊষাই পূজা কৰিয়ে অনিৰুদ্ধ কোঁৱৰক স্বামীৰূপে পাইছিল। অৱশ্যে কিছুমানৰ মতে, ঊষাই হেনো তেজপুৰৰে ভৈৰৱী মন্দিৰতহে পূজা কৰিছিল। মহাভৈৰৱত স্বয়ং বাণ ৰজাই নিজে শিৱ পূজা কৰিছিল। বহুতেই কয়, খুব জাগ্ৰত মন্দিৰ মহাভৈৰৱ। কোনোবাই সঁচা অন্তৰেৰে কিবা বিচাৰিলে পাইয়ে হেনো। মহাভৈৰৱৰ সমুখত শাৰী শাৰীকৈ কেইবাখনো দোকান। চাকিৰ সামগ্ৰী কিনিব পাৰে। বয়সীয়াল মানুহ এগৰাকীৰ দোকানখনৰ পৰা চাকি দিয়াৰ সামগ্ৰীসমূহ কিনিলে সন্ধ্যাই। চাকি এগছ, বেলপাত, ধূপ, ফুল আৰু নকুল দানাৰে সম্পূৰ্ণ থালখন। অভিমন্যুক সোধাত সি "এজনে দিলেই

হ'ব দে" বুলি ক'লে। সন্ধ্যাই লগতে তাৰ পৰা মুৰি এপেকেটো কিনিলে। অভিমন্যুয়ে সুধিছিল, "মুৰিৰে কি কৰ?" উত্তৰত তাই হাঁহিলে মাত্ৰ। চাকিৰ থালখন লৈ ওখ ওখ চিৰিবোৰ পাৰ হৈ মন্দিৰৰ সমুখ পাইছিল গৈ সিহঁত। খুব ধুনীয়া মন্দিৰটো। লগতে ইয়াৰ শান্ত পৰিৱেশটোও। সমুখতেই মহাদেৱৰ বাহন নন্দীৰ মূৰ্তি। মন্দিৰত সোমোৱা দ্বাৰখনৰ সোঁফালে বেৰত গণেশ আৰু বাওঁফালে হনুমানৰ মূৰ্তি আছে। দুৱাৰদলীত সেঁৱা কৰি ভিতৰলৈ সোমাই গ'ল সিহঁত। মন্দিৰৰ ভিতৰ চোৱাৰ দুটা ভাগ। প্ৰথমতে সোমায়েই পোৱা কোঠাটোত থকা ওখ ৰেককেইডালত চাকি আৰু ধূপ জ্বলোৱাৰ সুবিধা আছে। সন্ধ্যাহঁতে জ্বলালে তাতেই। তাৰ পিছতে ভিতৰলৈ সেই বিখ্যাত ৰূপৰ দুৱাৰখন পাৰ হৈ গ'লেই পাই বৃহৎ শিৱলিংগটো। ফুল, বেলপাত আদিৰে আবৃত ঠাইখিনি দেখিলেই শ্ৰদ্ধাত মূৰ দোঁ খাই আহে। তাৰ কাষতেই বহি থাকে পূজাৰীজন। দৰ্শনাৰ্থীয়ে লৈ যোৱা প্ৰসাদ, ফুল আদি শিৱলিংগত অৰ্পণ কৰি আৰ্শীবাদ দিয়ে। সন্ধ্যা আৰু অভিমন্যুও আঁঠু ল'লে তেওঁৰ ওচৰতে। সন্ধ্যাই আগবঢ়াই দিয়া থালখনৰ ফুলখিনি শিৱলিংগত দি আৰ্শীবাদ দিবলৈ লাগিল। তাৰ মাজতে এবাৰ পূজাৰীজনে সুধিলে,

"চাকি কাৰ নামত দিয়া হৈছে?"

অভিমন্যুয়ে একো ক'বলৈ নাপাওঁতেই সন্ধ্যাই ক'লে,

"অনুৰণ হাজৰিকা।"

অভিমন্যুয়ে স্তব্ধ দৃষ্টিৰে চাই ৰৈছিল সন্ধ্যালৈ। সি তো ভাবিছিল সন্ধ্যাই পৰীক্ষা আহি আছে বাবে মন্দিৰলৈ আহিছে। কিন্তু অনুৰণৰ বাবে চাকি দিব বুলি সপোনতো ভবা নাছিল সি। অৱশ্যে সন্ধ্যা তেনেকুৱাই, নিজতকৈও আনৰ কথাই বেছি ভাবে তাই। অভিমন্যুৰ মনত আগতকৈও বেছি উচ্চ আসনলৈ গৈছিল সন্ধ্যা।

পূজাৰীজনৰ পৰা ফোঁট, নিৰ্মালি আৰু প্ৰসাদ লৈ ওলাই আহিল সিহঁত। মন্দিৰৰ বাহিৰত সোঁফালৰ কাষৰ খালী ঠাইখিনিত সদায় পাৰ চৰাইৰে ভৰি থাকে। সন্ধ্যাই মুৰিৰ পেকেটটো অনাৰ ৰহস্য সেইটোৱেই। চৰাইখিনিৰ কাষলৈ গৈ মুৰিখিনি বিলাই দিছিল সন্ধ্যাই। গোটেই পাৰ বোৰে বেঢ়ি ধৰিছিল তাইক। মাজতে এবাৰ তাই আঁতৰি যায়, আকৌ পাৰকেইটাই পিছে পিছে খেদে। কোনোবাটো উৰি আহি তাইৰ বাহুতেই পৰিছেহি। হাঁহি হাঁহি সন্ধ্যাই পাৰকেইটাৰ লগত খেলি থকাৰ দৃশ্যটো অকল অভিমন্যুয়েই নহয়, তাত থকা সকলোৱে চাই আছিল। সন্ধ্যাৰ নিস্পাপ হাঁহি আৰু

Kaushik

নিষ্কলুষ চঞ্চলতাই সকলোৰে মন মুহিছিল। বগা চুৰ্ণীখন উৰাই খেলি থকা সন্ধ্যাকো এজনী মৰম লগা পাৰ চৰাইৰ দৰেই লাগিছিল।

কিছু সময়ৰ পাছত মন্দিৰৰ পৰা নামি আহিল সিহঁত। চিৰি কেইটাৰ তলতে থকা মগনীয়া কেইজনৰ ওচৰলৈ গৈ ৫০ টকাৰ নোট এখন উলিয়াই দিলে অভিমন্যুয়ে। সন্ধ্যাই কাষৰ দোকানখনৰ পৰা কল দুটামান কিনি সৰু ল'ৰা জনক খাবলৈ দিলে। ল'ৰাজনৰ চকুৰ সেই তৃপ্তিটো দেখি সন্ধ্যা আৰু অভিমন্যু দুইটাৰে মন ভৰি গৈছিল। সঁচাই, কাৰোবাৰ বাবে সুখৰ কাৰণ হ'ব পৰাতকৈ সুন্দৰ অনুভূতি আৰু কি হ'ব পাৰে।

তাৰ পৰা পৰোৱা লৈকে আহি পৰোৱাত অলপ সময় ৰৈছিল সিহঁত ইউনিভাৰ্চিটী বাছলৈ।

"তই অনুৰণৰ হৈ চাকি দিব আহিছিলি নি?"

সোধোঁ নোসোধোঁকৈ অভিমন্যুয়ে সুধিলে।

"উমম, দেখিছ ন তাৰ অৱস্থাটো। ইফালে আগত ফাইনেল পৰীক্ষা। আৰু নজনাকে হ'লেও এইবোৰতো মইয়ে কৰিলোঁ। অনুৰণৰ অৱস্থাটোৰ কথা ভাবিলে মই খুব অশান্তি পাওঁ, যেন মইয়ে তাক এইবোৰ কষ্ট দিছোঁ। নোৱাৰোঁ মই তাক এনেকৈ চাই থাকিব।"

সন্ধ্যাই নিজক কোৱাৰ দৰে কৈ গৈছিল। লগতে "এইখিনি অনুৰণক দিবি" বুলি অভিমন্যুৰ হাতত তুলি দিছিল প্ৰসাদখিনি। উত্তৰত একো কোৱা নাছিল অভিমন্যুয়ে। অনুৰণৰ ঠাইত আন কোনোবা হোৱা হ'লেও এইদৰেই ব্যস্ত হ'ল হেঁতেন নে সন্ধ্যা? এইটোৱে এটা ডাঙৰ সাঁথৰ। তাই হঠাৎ ছিৰিয়াছ হৈ যোৱাৰ বাবেই সি আকৌ সুধিলে,

"পিছে কৃষ্ণৰহে প্ৰেমিকা তই, আজি শিৱ মন্দিৰলৈ আহিলি যে?"

সন্ধ্যাইও হাঁহি এটা মাৰি ক'লে,

"কৃষ্ণৰ আৰাধ্য হৈছে মহাদেৱ। আৰু মোৰ প্ৰেমে যাক আৰাধনা কৰে, তেওঁক মই কিদৰে অৱজ্ঞা কৰিব পাৰোঁ।"

"ৱাহ, প্ৰেমৰ ফুল পেকেজ দেখোন তই। বুজিয়ে নাপাওঁ মই কথাবোৰ।"

Kaushik

অভিমন্যুয়ে হাঁহি হাঁহি কোৱা কথাৰ উত্তৰত সন্ধ্যাই মাত্ৰ "যাহ এইডাল" বুলি ঠেলা এটা মাৰি আঁতৰি গ'ল।

এনেতে বাছখন আহি পোৱাত উঠিল সিহঁত। সদায় বহাৰ দৰে সন্ধ্যা খিৰিকীৰ কাষৰ ছিটত। কাষত অভিমন্যু। কিয় জানো একো কথা নাপাতি হেডফোন ডাল লগাই গান এটা লগাই লৈছিল সন্ধ্যাই। কুঁৱলীবোৰ কমি যোৱাৰ বাবে এতিয়াহে বাহিৰৰ আকাশখনত বেলিটো জিলিকি উঠিছিল। গছবোৰৰ সেউজীয়াবোৰ চাই গৈছিল তাই। অনুৰণ শোৱাৰ পৰা উঠিল নে বাৰু? উঠিল যদি কি কৰি আছে সি? ভাবি ভাবি গৈ আছিল সন্ধ্যা। কাণত বাজি আছিল সীমান্ত শেখৰৰ জনপ্ৰিয় গীত "আঁতৰি আঁতৰি নোৱাৰা থাকিব"ৰ কলি এটা,

"প্ৰতিটো উশাহতে

তোমাৰেই সুবাস আছে

সপোনতো তুমি মাতা হাত বাউলি....."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 49

বাছখন Essentialৰ সমুখত ৰখালে। অভিমন্যু আৰু সন্ধ্যা তাতেই নামিল। তেতিয়ালৈ কিছু সময় হৈছিল। Essential খুলিছিল। দুই এটা ল'ৰা ছোৱালীও ওলাইছিল বাহিৰলৈ। সন্ধ্যাহঁত নমাৰ লগে লগেই বাছখন গ'ল। এনেতে বৰদৈছিলাৰ পৰা ওলাই অহা মনশ্ৰীয়ে সিহঁত দুইটাক দেখি চিঞৰিলে,

"বেলেগ আৰু দেই, ৰাতিপুৱাই ক'ৰ পৰা ওলালিহি দুইটা?"

"মন্দিৰ গৈছিলোঁ অ'"।

মনশ্ৰীক চিঞৰি কথাটো কওঁতেই পিছফালৰ পৰা কোনোবাই "আই ঐ" বুলি মৰা চিঞৰত উচপ খাই উঠিল সন্ধ্যা। ঘূৰি দেখে জুৰি।

"ধেৎ এইজনী, ভয়ে খাই গ'লো।" কৃত্ৰিম খঙেৰে সন্ধ্যাই ক'লে।

"ভয় চয় বাদ দে। তহঁত দুটাই এইচব কিমান দিনলৈকে চলাবি কচোন। আৰে কোনোবা এটাইতো প্ৰপোজ কৰ। একেলগে মন্দিৰ যাঁৱ, একেলগে ঘূৰ, বেলেগৰ লগত দেখিলে jealousy, কিন্তু ভাল পাওঁ বুলি কৈও নিদিয়।"

এই জুৰিজনী য'তে ত'তে আৰম্ভ হৈ যায় মানে। সন্ধ্যাৰ এনেও এইবোৰ কথা ক'লে লাজহে লাগে। কিন্তু তাই মন কৰিছিল, আজি প্ৰথম বাৰৰ বাবে যেন অভিমন্যুও কিছু অস্বস্তিত পৰিছিল জুৰিৰ কথাত। তাৰ মুখৰ অভিব্যক্তিত সন্ধ্যাই ভালকৈয়ে ধৰা পেলাইছিল। মুখখন ইফালে সিফালে চঞ্চল ভাৱে ঘূৰাইছিল। হাতটোৰে বাৰে বাৰে নাকটো মোহাৰিছিল। কিন্তু নাই, অভিমন্যুৰ চকুত সন্ধ্যাৰ দৰে লাজ নাছিল। আছিল অস্বস্তিহে। সিহঁতে একো নকওঁতেই নিমিষাই ক'লে,

"বেচেৰা কেইটা বাছৰ পৰা নামিছেহে। তই আৰম্ভ কৰিলিয়ে নে?"

নিমিষাৰ কথাত সুযোগ পাই সন্ধ্যাইও ক'লে,

"সঁচাকৈ দেই। এইজনীৰ যে মুখখন। নিজক লগ ধৰোঁতে হ'লে নগ'লি, এতিয়া জোকাবলৈ আহিছ।"

"ইচ, তই যেন বেয়াহে পাইছ আমি নোযোৱা কাৰণে। মহাভৈৰৱত প্ৰেমিকৰ নামতহে চাকি দিয়ে, আমি গৈ কি কৰিম?"

জুৰিয়ে কোৱা কথাষাৰত হঠাৎ কিছু থতমত খাই গৈছিল সন্ধ্যাই। হয়তো অভিমন্যুয়েও। সি নিজেই ক'লে,

"মই গৈ থাকোঁ দে। তহঁত ৰ।"

এইবুলি আগবাঢ়িল সি পাটকাইৰ ফালে।

"আই ঐ, তাৰ লাজটো চা। হেৰৌ চাকি দিলে নে নাই সন্ধ্যাই তোৰ নামত?"

জুৰিয়ে পিছফালৰ পৰা চিঞৰিলে। এনেই হোৱা হ'লে ওলোটাই উত্তৰ নিদিয়াকৈ যোৱা ল'ৰা অভিমন্যু নহয়েই। কিন্তু আজি কি হ'ল জানো। উত্তৰটো দিয়া নাইয়ে, ঘূৰিও নাচালে। সন্ধ্যাই চাই ৰৈছিল সি যোৱাৰ ফালে। নিমিষাহঁতৰ লগত কিছু সময় তাতে কথা পাতি সন্ধ্যা সোৱণশিৰী পালেগৈ।

ৰুমত সোমোৱাৰ লগে লগেই বিদিশাৰো জোকোৱা আৰম্ভ হৈ গ'ল,

"কেনেবাকৈ সেঁন্দূৰ চেন্দুৰ দি দিয়া নাইতো?"

Kaushik

"ধেই, তুমিও যে বা।" বুলি কাপোৰ সলাবলৈ লাগিল সন্ধ্যা। হাঁহি হাঁহি ওলাই গৈছিল বিদিশা। বিচনাত পৰিছিল সন্ধ্যা। মন্দিৰৰ পৰা আহিও মনটো গধূৰ যেন লাগিছে কিয় তাইৰ? জুৰিয়ে কোৱা কথাটো সঁচা নেকি বাৰু? মহাভৈৰৱত কি অকল প্ৰেমিকৰ নামতহে চাকি জ্বলাই? ধেৎ, কি যে কথাত মাথা মাৰিছে তাই। এই জুৰিজনীৰ লাগবান্ধ নোহোৱা কথাত ছিৰিয়াছ হ'ব লাগে নেকি? ক'ত লিখা আছে নো এইবোৰ নিয়ম? এনেই যা এইবোৰ বুলি মনৰ ভাৱবোৰ জোকাৰি পেলালে সন্ধ্যাই।

শোৱাৰ পৰা উঠি বিচনাতে লেপটপটো চাই আছিল অনুৰণে। মাথাৰ বিষটো আগতকৈ বহুখিনি কমিল যদিও সম্পূৰ্ণকৈ ভাল হোৱাই নাই। পিঠিৰ দাগবোৰো প্ৰায় আছেই। অৱশ্যে সেয়া ভাল হওঁতে এমাহ মান লাগিব বুলি কৈছে ডাক্তৰে। এনেতে দুৱাৰ খন খুলি অভিমন্যু সোমাই অহা দেখি অনুৰণে মাত লগালে,

"ঐ আহা। গ'লা মন্দিৰ?"

"গ'লো। এইয়া লোৱা প্ৰসাদ।"

নকুল দানা আৰু বুট কেইটা অনুৰণলৈ আগবঢ়াই দিলে অভিমন্যুয়ে। তাৰে কেইটামান মাত্ৰ ময়ূঁৰলৈ ৰাখিছে সি।

"সন্ধ্যাই তোমাৰ হৈ চাকি দিছিল আজি।"

স্বাভাৱিক ভাৱেৰেই অভিমন্যুয়ে ক'লে।

"মোৰ হৈ?" অনুৰণ যেন কিছু আচৰিত হ'ল। অভিমন্যুৰ লগত গৈ তাৰ হৈ চাকি দিব বুলি সিও ভবা নাছিল।

"অঁ, তোমাৰ এক্সিডেন্টটোৰ কাৰণে তাই এতিয়াও নিজকে দোষী বুলি ভাবে। সোনকালে ভাল হ'বলৈ চাকি দিছে।"

অভিমন্যুয়ে ক'লে।

"তাইও যে মানে।" বুলি কৈ প্ৰসাদকেইটা মুখত ভৰালে সি। অভিমন্যুও "যাওঁ দিয়া" বুলি কৈ ওলাই গ'ল ৰুমৰ পৰা।

বাহিৰে বাহিৰে ময়ূঁৰৰ ৰুমত সোমালগৈ অভিমন্যু। আশা কৰা মতেই ময়ূঁৰ গানৰ মাজত ব্যস্ত। তাৰ ৰুমমেট নাই। লাইব্ৰেৰী গ'ল। আৰু এখেতে ৰাতিপুৱাই গান লগাই

Kaushik

লৈছে। চলমান খানৰ নতুন চিনেমা "Prem Ratan Dhan Payo"ৰ Jalte diye গানটো লাগি আছিল। অভিমন্যু সোমাই গৈ ধাচকৈ ময়ূঁৰৰ বিচনাখনতে পৰি দিলে। সি এনেকুৱাই, নিজতকৈও ময়ূঁৰৰ ৰুমত বেছি কমফৰটেবল। দিনটো অ'ত ত'ত ঘূৰি থাকিলেও ময়ূঁৰৰ কাষত আহিহে যেন ভাগৰটো পলাই তাৰ। বিচনাত পৰোঁতেই স্পীকাৰত বাজি থকা Jalte Diyeৰ কলিটো কাণত পৰিলহি,

"Mera nehi...

Mera nehi he woh diya jo jal raha he mere liye,

Meri taraf kyu ye ujale aayehe inko rokiye..."

"হেই এইডাল বন্ধ কৰ চোন" বুলি অফ কৰি দিলে সি স্পীকাৰটো। বিচনাখনৰ মূৰতে বহি থকা ময়ূঁৰে চিঞৰি উঠিল,

"অভি, কি নো? লগা না গানটো। ভাল লাগে বহুত।"

অভিমন্যু বহাত পৰা উঠিল,

"এই ৰাতিপুৱাই কিহৰ গান হা তোৰ? পঢ়িব লাগে নে গান শুনিব লাগে? ফাইনেল যে পালেহি খবৰ আছে?"

"তই আছ নহয় পঢ়াবলে।" ময়ূঁৰে হাঁহি হাঁহি ক'লে। অভিমন্যুৰো হাঁহি উঠিল। এই ল'ৰাটোৱে অকল তাৰ লগতেই যি হাঁহি কৰি কথা পাতে। বাকী সকলোৰে আগত যেন জড় পদাৰ্থ।

"মোলে কি আনিলি টাউনৰ পা?"

ময়ূঁৰৰ যেন অধিকাৰ।

"এই ৰাতিপুৱাই কিবা দোকান খোলে নেকি গৰু? এইয়া ল, প্ৰসাদ।" অভিমন্যুয়ে আগবঢ়াই দিয়া প্ৰসাদখিনি খালে সি। এবাৰ বিচনাতে বাগৰ সলাই অভিমন্যুয়ে ক'লে,

"মূৰটোহে বিষাইছে। সোনকালে উঠিলোঁ কাৰণে হ'বলা।"

ময়ূঁৰে সুধিলে,

"ডিষ্টাৰ্ব হৈ আছ ন তই মানুহটো?"

Kaushik

আচৰিত হৈছিল অভিমন্যু। এই ল'ৰাটোৱে কেনেকৈ বুজি পাই তাক ইমান। সেইবাবেই হয়তো সিও সকলোৰে লগত থকাৰ পাছতো তাৰ ওচৰলৈকে আছে। এৰা, বন্ধু হ'লে সদায় মন বুজি পোৱা হ'ব লাগে। বাকী ভুল বুজিবলৈতো গোটেই পৃথিৱীখনেই আছে।

"আজি সন্ধ্যাই অনুৰণৰ হৈ চাকি দিছিল মন্দিৰত।", অভিমন্যুয়ে ক'লে।

"তোৰ বেয়া লাগিল?" ময়ূঁৰে কোৱা কথাটোত ভাবিলে অভিমন্যুয়ে। বেয়া লাগিছে জানো তাৰ? নাই, সঁচাকৈ নাই লগা। অনুৰণৰ বাবে কোনোবাই ভাল চিন্তা কৰিলে তাৰ কিয় বেয়া লাগিব? সিওতো বিচাৰে যে অনুৰণ সুস্থ হৈ উঠক। নাই, বেয়া লগা নাই তাৰ। কিন্তু কিবা এটা অশান্ত হৈছে মনটো সেইটো সঁচা। কিয় হৈছে তাৰ উত্তৰ অভিমন্যুৰ হাততো নাই। সেয়ে ময়ূঁৰৰ প্ৰশ্নত একো উত্তৰ নিদিলে সি। ময়ূঁৰে আকৌ ক'লে,

"তই নিজে কি বিচাৰ অভি?"

"নাজানো অ' মই। চবেই মোক সন্ধ্যাৰ লগত জোকাই, সকলোৱে বিচাৰে যাতে মই তাইৰ লগত এটা ৰিলেশ্যনত আহোঁ। হয়, সন্ধ্যাক মোৰো ভাল লাগে। কিন্তু তাইকতো মই মিছা আশাত ৰাখিব নোৱাৰোঁ। ইমান মৰম আকলুৱা ছোৱালীজনীৰ মনটো ভাঙিব নোৱাৰোঁ। মই নিজৰ সমস্যাবোৰেই শেষ কৰিব পৰা নাই।"

অভিমন্যু যেন উত্তেজিত হৈ পৰিছিল। মাতটো ডাঙৰ হৈ গৈছিল। ময়ূঁৰে তাৰ বাহুটোত ধৰি শান্ত মাতেৰে ক'লে,

"চব ঠিক হ'ব। সময়কো অলপ সময় দে। বেছি নাভাবিবি আৰু এতিয়া যা অলপ ফ্ৰেচ হৈ আহ, মোক অলপ পঢ়াই দে। নহ'লে আকৌ গান শুনি থাকিম কিন্তু মই।"

অভিমন্যুক কিদৰে শান্ত কৰিব লাগে ময়ূঁৰতকৈ ভালকৈ আৰু কোনে জানে? শান্ত হৈ "আহি আছোঁ" বুলি ওলাই গ'ল অভিমন্যু।

সময়বোৰ গৈ থাকিল। সন্ধ্যাহঁতৰ প্ৰথমটো ছেমিষ্টাৰ শেষ হোৱাৰ পথত। পাঁচ বছৰীয়া জীৱনৰ প্ৰথম ছটা মাহতে বহুত কিবা কিবি শিকালে তাইক ইউনিভাৰ্চিটীয়ে। পৰীক্ষালৈ বেছি দিন নাই। কিন্তু তাৰ কেইদিন আগত আছিল সন্ধ্যাহঁতৰ ৰাস। এক সপ্তাহৰ পৰা গাঁৱত ভাগৱত পাঠো হৈ আছে। আৰম্ভণিৰ দিনা সন্ধ্যাই নিজৰ চকুলো ৰখাব পৰা নাছিল। সদায় ভাগৱতৰ আৰম্ভণিৰ দিনা ৰাতিপুৱা ঊষা কীৰ্তন আৰু

kaushik

ভাগৱত ভ্ৰমণ হয় গোটেই গাঁৱত। নামঘৰীয়া ককায়ে ভাগৱত খন শিৰত লয় আৰু বাকী গাঁৱৰ ডেকা গাভৰু, বুঢ়া মেথা, জীয়ৰী বোৱাৰী সকলোৱে দিহা নাম গাই গাই লগে লগে খোজ কাঢ়ি যায়। হৰি নামৰ ৰসত গোটেই গাঁওখনেই জীপাল হয়। ভাগৱতৰ কেইদিন সদায় ৰাতি দেৰিলৈকে পাপৰি, চুমন আৰু মুনমুনৰ লগত নামঘৰৰ ফিল্ডতে বহি আড্ডা মাৰি থাকে। সেই কেইদিন যে ঘৰতো একো নকয়। কিন্তু এইবাৰ তাই একোৱে নাপালে। সন্ধ্যাই সেইদিনা হোষ্টেলতে শোৱাৰ পৰা সোনকালে উঠি গা পা ধুই টেবুলতে চাকি এগছ জ্বলাইছিল। ভ্ৰমণ আৰম্ভ হওঁতেই পাপৰিয়ে ফোন কৰিছিল। সন্ধ্যাই ফোনতে শুনিবলৈ পাইছিল দবা, বৰকাঁহ আৰু খোলৰ লগত নাম,

"বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ,

ইহাৰ উত্তম ফল হৰি নামে মাত্ৰ"

মনতে সেঁৱা এটি কৰিছিল সন্ধ্যাই। ৰখাব পৰা নাছিল চকুলো। তাই বাৰুকৈয়ে উপলব্ধি কৰিছিল সেইদিনা, নিজৰ ঠাইখনৰ দৰে স্বৰ্গ আৰু ক'তোৱেই নাই।

এক সপ্তাহ ধৰি হোৱা ভাগৱতৰ আজি অন্তিমটো দিন আৰু ৰাতিলৈ মহাৰাস। আজি পূৰ্ণিমাও। সন্ধ্যা ৰাতিপুৱাই যাবলৈ ওলাল। অভিমন্যুয়েই কাৰোবাৰ বাইক এখন লৈ মিছন চাৰিআলিত থ'লেগৈ তাইক। সি অৱশ্যে বৰ এটা ভাল পোৱা নাছিল সন্ধ্যাই পৰীক্ষাৰ আগত এনেদৰে ৰাস নাচিবলৈ যোৱাটো। তাইক এবাৰ কৈছিলো, "পৰীক্ষাৰ আগত এইবোৰ কিয়" বুলি। কিন্তু তাই মাত্ৰ হাঁহি মাৰি "কৃষ্ণৰ ৰাসত ৰাধাই নানাচিলে কেনেকৈ হ'ব" বুলি আঁতৰি গৈছিল।

সন্ধ্যা গৈ পাই মানে ভাগৱত সামৰিবৰ হৈছিল। ঘৰত সোমাই কাপোৰ সাজ সলাই মেখেলা চাদৰ যোৰ পিন্ধিয়েই নামঘৰ পাইছিল হি তাই। সিহঁতৰ গাঁওখনত এই ৰাস আৰু ভাগৱত উৎসৱৰ দৰেই। গাঁৱৰ পৰা বিয়া দিয়া ছোৱালীবোৰো য'লৈকে বিয়া নহওঁক, বিহু পূজাত নাহিলেও ভাগৱত আৰু ৰাসৰ সময়ত মাকৰ ঘৰখনলৈ আহিবই। সন্ধ্যাৰ জেঠায়েকৰ ছোৱালী মাইনা বা আৰু মোমায়েকৰ ছোৱালী মুমুও নগাঁৱৰ পৰা আহি পাইছেহি। গোটেই গাঁওখনেই থূপ খাইছিলহি নামঘৰত। সময়ত উৰুলি, দবা, কাঁহ আদিৰ শব্দত ভাগৱত সামৰিলে। ভাগৱত পঢ়া ককা কেই জনে চকুপানী টুকিছিল। ভক্তিৰসত কিমান খিনি নিমজ্জিত হৈ থাকিলে এইদৰে অশ্ৰু নিগৰিব পাৰে সন্ধ্যাই

Kaushik

নুবুজিলেও অনুমান কৰিব পাৰে। গাঁৱৰ বোৱাৰী সকলেও আঁচলেৰে চকুপানী মচিছিল। এসপ্তাহৰ ব্যস্ততাৰ পাছত যেন আকৌ এবছৰলৈ নিজম পৰিব গাঁওখন।

ৰাতিলৈ মহাৰাস। অসমীয়া কৃষ্টিৰ এক অনবদ্য অংশ। আচল মহাৰাস শ্ৰীমন্ত শংকৰদেৱৰ "কেলিগোপাল" নাটৰ আধাৰতে অনুষ্ঠিত হয় যদিও সন্ধ্যাহঁতৰ গাঁৱত শ্ৰীকৃষ্ণৰ শিশুলীলাৰ পৰা দেখুওৱা হয়। এন্ধাৰ হোৱাৰ পাছতে জনঅৰণ্যত পৰিণত হৈছিল বিশ্বনাথ চাৰিআলিৰ উত্তৰ চাৰিআলি ষ্টেডিয়াম। গোটেই ষ্টেডিয়ামখন সজাই পৰাই যেন দ্বিতীয় বৃন্দাবন হৈছিল। ৰাস্তাৰ কাষত বহিছিল সৰু সৰু দোকানবোৰ। ষ্টেডিয়ামৰ চাৰিওফালে মানুহ আৰু মাজতে বৃন্দাবনৰ আৰ্হিত নিৰ্মিত মণ্ডপ। ৰাধাকৃষ্ণৰ বাবে ঝুলনাও আছে। আৰম্ভ হওঁতে হওঁতে প্ৰায় দহ বাজিছিল। সন্ধ্যা গ্ৰীণ ৰুমত। এযোৰ উজ্জ্বল কমলা ৰঙৰ পাটৰ কাপোৰ পিন্ধিছিল তাই। মাজত সোণালী ৰঙৰ ফুল বছা। মোহিনীৰ ভাও লোৱা সন্ধ্যাক যিয়ে দেখিছিল কোনেও চকু আঁতৰাব পৰা নাছিল। আৰম্ভ হোৱাৰ আগে আগে তাইৰ মোবাইলত অনুৰণৰ মেচেজ জিলিকিছিল,

"All the best, bhal ke nasiba"

হাঁহিটো বৈ আহিছিল আকৌ তাইৰ।

এনেতে মঞ্চত ৰাসৰ প্ৰথমটো দৃশ্য। অসুৰৰ অত্যাচাৰত জৰ্জৰিত হৈ বসুমতীৰ বিলাপ। তাৰ পাছতেই নাৰদৰ আগমণ,

"শুনা মাতা বসুমতী মোহোৰ বচন,

লোতকে তিয়ালা চকু কিসৰ কাৰণ।"

নাৰদৰ পৰামৰ্শমতে আই বসুমতীয়ে ত্ৰিদেৱক স্তুতি কৰিছে,

"শুনিয়োক ব্ৰহ্মা বিষ্ণু অউৰ মহেশ্বৰ,

ৰহিবে নোৱাৰোঁ মঞি নৰহে জীৱন।"

অনন্ত নাগৰ শয্যাত লক্ষ্মী নাৰায়ণৰ দৃশ্য সঁচাই বৰ মনোমোহা হৈছিল। তাৰ পাছতেই আৰম্ভ বসুদেৱ দৈৱকীৰ বিবাহ। কংসই ৰথত তেওঁলোকক থ'বলৈ যাওঁতেই সেই আকাশবাণী,

"যাক লৈয়া যাস কংস শুনৰে অজ্ঞান,

Kaushik

এহিৰ অষ্টম গৰ্ভই তোৰ লৈব প্ৰাণ।"

তাৰ পাছতেই কাৰগাৰত কৃষ্ণৰ জন্ম। মিনতি বাই সুৰ লগাই কি সুন্দৰকৈ গাইছে,

"আজি ৰাতি শিলা বৰষিলে এ,

নুশুনোঁ প্ৰজাৰ মাত,

পালি পহৰীয়া সবে নিদ্ৰা গৈলে

উপজিলে জগন্নাথ।"

বসুদেৱে আকাশবাণী মতেই কৃষ্ণক নি যশোদাৰ কাষত থৈ যোগমায়াক লৈ আনে,

"যশোদাৰ তৈতে উপজিলে যোগমায়া,

আতি অচেতনে নিদ্ৰা গৈল নন্দ জাঁয়া।

তাহান শয্যাত নিয়া থৈলন্ত তোমাক,

বসুদেৱে আনিলন্ত নন্দৰ কন্যাক।"

নন্দৰ কন্যা যোগমায়াকে কংসই দৈৱকীৰ সন্তান বুলি হত্যা কৰিবলৈ লওঁতেই যোগমায়া বৃহৎ ৰূপ ধৰি অন্তৰ্ধান হয়। উপায় নাপাই কংসই পুতনাক মোহিনীৰ ৰূপ লৈ শিশুসকলক মাৰিবলৈ আদেশ দিয়ে। ইফালে গকুলত কৃষ্ণজন্মৰ আনন্দত উৎসৱ,

"আজি নন্দৰ ঘৰে আনন্দে জয়জয় কৰে,

জগতৰ পতি হৰি আইলা ব্ৰজপুৰে.."

তাৰ লগে লগেই মোহিনীৰ ৰূপত সন্ধ্যাৰ প্ৰৱেশ। নাচত চঞ্চলতা, চকুত দুষ্টালি, মুখত মন মুহিব পৰা হাঁহি, দেহৰ প্ৰতি ভাঁজে কমনীয়তা, পাটৰ সাজ আৰু অলংকাৰে সন্ধ্যাক সাইলাখ মোহিনীৰ দৰেই লাগিছিল। খোলৰ শব্দত লয়লাসেৰে নচা নৃত্যত দৰ্শকেও ৰ লাগি চাইছিল। মিনতি বায়ে গাই আছিল,

"আসিলেক পুতনা মোহিনী নাৰী বেশে...."

পুতনা বধৰ পাছতেই সন্ধ্যাৰ ভাও শেষ। তাই আহি দৰ্শকৰ শাৰীত বহিছিলহি। শিশুলীলাৰ পাছতেই আৰম্ভ হৈছিল মহাৰাস। শ্ৰীকৃষ্ণৰ প্ৰৱেশ, যমুনাৰ পাৰত ৰাধাৰ প্ৰৱেশ আৰু তাৰ পাছতে গোপীৰ নাচ,

Kaushik

"আহা সখী আহা বাই বৃন্দাবনে যাওঁ,

বজাইছে মোহন বংশী নয়ন ভৰি চাওঁ।"

কিছু সময়ৰ পাছত ৰাধাকৃষ্ণৰ পলায়ন আৰু যমুনাৰ পাৰত নৃত্য,

"অ' মন মোহন

মুহিলা ৰাধাৰ চিত মন মোহন..."

চুমন আৰু চুমি বাই বৰ ধুনীয়াকৈ নাচিছে। যেন সাইলাখ ৰাধাকৃষ্ণহে। সন্ধ্যাৰ যোৱা বাৰলৈ মনত পৰিল। তেজপুৰ ইউনিভাৰ্চিটীত ছিট নোপোৱা হ'লে এইবাৰ চাগে তাই কৃষ্ণ হ'ল হেঁতেন। কিন্তু উপায় নাই, কিবা এটা পাবলৈ হ'লে কিবা এটা হেৰুৱাবওতো লাগিব।

একেবাৰে শেষত শংখচূড়ৰ প্ৰৱেশ হৈছিল। ব'মৰ লগতে অসুৰ হাঁহিটোৱে সৰু সৰু ল'ৰা ছোৱালীকো কঁপাই তুলিছিল। কৃষ্ণৰ হাতত অসুৰৰ মৃত্যুৰ পাছতেই আৰম্ভ হৈছিল আনন্দৰ নৃত্য। পাপৰিয়ে দৰ্শকৰ মাজৰ পৰা সন্ধ্যাকো টানি আনিছিল।

"কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম" নামেৰে সামৰণি পৰিছিল মহাৰাসৰ।

Kaushik

ৰাসৰ পিছদিনাই হোষ্টেললৈ উভতিছিল সন্ধ্যা। এতিয়া আৰু এটা দিনো ক্ষতি কৰিব নোৱাৰি। সমুখত মাত্ৰ তিনি দিনৰ পাছতেই পৰীক্ষা। তাৰ মাজতে যে তাই কিদৰে ৰাস নাচিবলৈ সাহস কৰিলে ভগৱানে হে জানে। মাকেতো এবাৰ গালিয়ে পাৰিছিল।

ইউনিভাৰ্চিটীত সোমাইয়ে Literature, history, poetry এইবোৰৰ মাজত হেৰাই গৈছিল তাই। অভিমন্যুৰ লগতে দিনটো লাইব্ৰেৰীত, ৰাতি আকৌ দেৰিলৈকে ৰুমত পঢ়া। সিদিনাও সন্ধ্যাৰ লগতে বিদিশাও ৰুমত পঢ়ি আছিল দেৰি লৈকে। ঠিক বাৰটা বাজি গৈছিল। বিদিশা এবাৰত ৰুমৰ পৰা ওলাই বাথৰুম গ'ল। বাথৰুমৰ পৰা ৰুমলৈ আহি থাকোঁতেই হঠাৎ কোনোবাই কাপোৰেৰে তাইৰ মুখখন ঢাকি পেলালে। তাই যিমান জোৰেৰে আজুৰি মুকলি হ'বলৈ চাইছে সিমানেই জোৰেৰে পিছফালৰ পৰা ধৰি আছে। "সন্ধ্যা সন্ধ্যা" বুলি বিদিশাই চিঞৰিছিল যদিও চেঁপা মাত এটাহে ওলাল। পিছফালে থকা গৰাকীয়ে প্ৰায় চোঁচৰাই নিয়া দি নি আছিল বিদিশাক কোনোবা ফালে।

(আগলৈ)

#নিৰিবিলি

Part 50

ভয় আৰু উত্তেজনাত কঁপিবলৈ লৈছে বিদিশা। দুবছৰ ধৰি থকা তাইৰ হোষ্টেলটোতে কোনে এই সাহস কৰিছে? কি হৈছে এইবোৰ সোৱণশিৰীত? প্ৰায় চোঁচৰাই নিয়াৰ দৰে বিদিশাক নি এটা ৰুমত সোমালেগৈ। দৰ্জাখন মাৰি বিদিশাৰ মুখৰ কাপোৰখন আঁতৰালে। ৰুমটোৰ লাইট জ্বলিল। লগে লগে বিদিশাৰ ভয়, শংকা, উত্তেজনাখিনি সলনি হৈছিল আনন্দ আৰু স্ফুৰ্তিলৈ।

"Happy Birthday to you, happy birthday dear Bidiishaaa, happy birthday to you"

সন্ধ্যা, ৰীণা, দীপা, কংকনা, কাশ্যপী আৰু বাকী গোটেইজনীয়ে চিঞৰি চিঞৰি গাইছিল। বিদিশাক টানি অনা গৰাকী আছিল ৰীণা। তেতিয়াহে মনত পৰিল বিদিশাৰ, আজি তাইৰ জন্মদিন। পৰীক্ষাৰ চিন্তাত তাই নিজেই পাহৰিছিল যদিও লগৰ গোটেই কেইজনীয়ে ঠিক মনত ৰাখিছিল। সেইবাবে দীপাৰ ৰুমতে তাইৰ বাৰ্থদেৰ আয়োজন কৰিছিল। কেৱল মুখত কাপোৰ বান্ধি অনাৰ আইডিয়াটো হেনো ৰীণাৰ। এনেও এনেকুৱা সাংঘাতিক আইডিয়া তাইৰ বাহিৰে বেলেগৰ মূৰত নাহে। বিদিশাই চাইছিল ৰুমটো। গোটেই ৰুমটোত সৰু সৰু লাইটবোৰ লগাই সজোৱা হৈছে। বেৰত Happy Birthday বুলিও লিখা আছে। লগতে সজাই থৈছে কেকটো।

"কেক পাছত কাটিবা দেহা, আগতে অলপ নোৱাই ধোঁৱাই লওঁ ব'লা" বুলি ৰীণাই হাতত ধৰি বাথৰুমলৈ লৈ গ'ল বিদিশাক। তাতেই পানী ঢালি জুৰুলি জুপুৰি কৰিলে বেচেৰীক। এই ডিচেম্বৰৰ ঠাণ্ডাত ৰাতি বাৰটা বজাত গাত ঠাণ্ডা পানী ঢলাৰ সুখকণ নক'লেও হ'ব চাগে। কাশ্যপীয়ে কণী এটাও আনিছিল মূৰতে ভাঙো বুলি। বিদিশাই চিঞৰ বাথৰ লগোৱাত যেনিবা তাতে ৰ'ল। জন্মদিনৰ দিনা এই অত্যাচাৰ চলোৱাটো যেন প্ৰতিখন হোষ্টেলৰে অলিখিত নিয়ম। সিহঁত গোটেই জাকৰ চিঞৰত মাজৰাতিও জী উঠিছিল সোৱণশিৰী।

তাৰ পাছতেই কেক কটাৰ পৰ্ব। নীলা ৰঙৰ ধুনীয়া কেকটো কাটি সকলোকে খোৱাইছিল বিদিশাই। অলপ সময়ৰ পাছতেই আকৌ সকলো ৰুমে ৰুমে গৈছিলগৈ। এই

Kaushik

যে পৰীক্ষাৰ মাজতো অলপ সময় উলিয়াই সকলোৱে আনন্দ ফুৰ্তি কৰিলে, জীৱনত এই সৰু সৰু সুখৰ মুহূৰ্ত বোৰেই বহু কিবা কিবি দি যায়।

পৰীক্ষা আৰম্ভ হ'ল। তিনি ঘন্টাৰ পৰীক্ষা। ষাঠি নম্বৰৰ। সকলোৰে ভয় আৰু চিন্তাত তৎ নাই। মিড টাৰ্মতকৈও দুগুণ প্ৰচেষ্টাত চলিছে আয়োজন। সদায় ভৰ্তি হৈ পৰে লাইব্ৰেৰী। হোষ্টেলত আড্ডা হাই হুৰুমি নাই। কোনোবাই কোনোবাই ডিপাৰ্টমেণ্টবোৰতো ৰাতি ৰাতি পঢ়ে। সকলোৰে চকুৰে মুখে ভয় আৰু বিভীষিকাৰ চাপ স্পষ্ট। বাকীবোৰ পৰীক্ষাৰ দৰে একেই নিয়মত পঢ়া শুনা কৰি আছিল সন্ধ্যাহঁতেও। অভিমন্যুয়েও নিয়মিত ভাৱে নিজৰ লগতে ময়ূঁৰকো পঢ়াই গৈছিল। এইদৰেই ভয়, সংশয়, উত্তেজনাৰ মাজতেই শেষ হৈছিল পৰীক্ষা। পিছদিনাৰ পৰাই প্ৰায়ে ডেৰ মাহৰ বাবে ইউনিভাৰ্চিটী বন্ধ। শেষৰ পৰীক্ষাটো দি ওলায়েই সকলোৰে এনেকুৱা অনুভৱ হৈছিল যেন যুদ্ধ হে জয় কৰিছে। সেইদিনা সন্ধিয়ালৈ গোটেই ইউনিভাৰ্চিটীত উৎসৱ মুখৰ পৰিৱেশ। কোনোবা যদি টাউন গৈছিল, কোনোবা এমিনিটী Essentialতে বহিয়েই আড্ডা মাৰিছিল। নিৰিবিলিৰ বেঞ্চ কেইখনো সম্পূৰ্ণ। বহু দিনৰ মূৰ নিজৰ প্ৰিয়জনৰ লগত এপাক খোজ কঢ়াৰ আমেজ, কাৰণ আগত ডেৰ মাহৰ বন্ধ।

আন বহুতৰ দৰে সন্ধ্যাও ওলাই আহিছিল অভিমন্যুৰ লগত। পূজাৰ বন্ধত তাইক নমতাকৈ গুছি যোৱাৰ কথা এতিয়াও তাই কৈয়ে থাকে। সেইবাবেই এইবাৰ পৰীক্ষা শেষ কৰি লগে লগে নগৈ পিছদিনা যাব। সম্পূৰ্ণ এটা সপ্তাহ নেৰানেপেৰাকৈ পঢ়ি পৰীক্ষা দিয়াৰ পাছত লগৰ থিনিৰ লগত মুকলি মনেৰে আড্ডা মৰাৰ যি আমেজ সেয়া আজি ইউনিভাৰ্চিটীৰ সকলোৱেই যেন পাইছে।

Essentialৰ গোটেই কেইখন চকী ভৰ্তি। সন্ধ্যা প্ৰথমে অভিমন্যুৰ লগত ওলাই গৈছিল। তাৰ পৰা আহি মহামায়াত এপাক সোমাল। কাইলৈ যিহেতু যাবগৈয়ে, আজি বকুল দাক মাত এষাৰ দি যোৱা যাওঁক। সোমাওঁতে সন্ধ্যাৰ লগত অভিমন্যুক দেখিয়েই প্ৰশান্ত দাই হাঁহি এটা মাৰিলে চকুৰ ইংগিতেৰে সুধিলে সন্ধ্যাক। তাই পিছে নুবুজাৰ ভাও ধৰিছিল। কিন্তু বকুল দাই চিধা চিধিকৈ সুধিয়েই দিলে,

"বোলো জোঁৱাই ফুৰাবলৈ আহিছ নেকি?"

এনেকৈ সুধি দিব বুলি সন্ধ্যাইও ভবা নাছিল। বকুল দাৰ ভাঁজত অভিমন্যুৰো হাঁহি উঠিল। তাতেই অলপ সময় কথা পাতি ওলাই আহিল সিহঁত।

Kaushik

সন্ধ্যাৰ প্ৰিয় ঠাই কাঞ্চনজংঘাৰ সেই পুলটোত বহিল। সমুখৰ ফিল্ডখনো আজি এসপ্তাহৰ মূৰত আকৌ যেন জী উঠিছে। চিঞৰৰ কোলাহল পুলটোলৈকে আহিছিল। ৰাস্তাৰে অহৰহ মানুহ অহা যোৱা কৰি আছে। দুই একে অভিমন্যুকো মাত লগাই গৈছে। এনেতে অভিমন্যুহঁতৰ হোষ্টেলৰে ৰাহুল পাৰ হৈ গ'ল। অভিমন্যুৰ লগত সন্ধ্যাক দেখি সি চিঞৰি চিঞৰি গাই গৈছে,

"জান ঐ উৰে যোৰে পাতি

জান ঐ বগাকৈ বগলী

জান ঐ মোৰে যোৰ পাতোতা নাই"

তাৰ মাততে গম পোৱা গৈছে যে নিচাত ডুবি আছে। আজি পৰীক্ষা শেষ, তাতে কাইলৈৰ পৰা বন্ধ। গতিকে আজি আৰু সোমৰস কণ নধৰিব নে ৰাইজে? তাৰ গানত হাঁহিত থাকিব নোৱাৰা হ'ল সন্ধ্যাই। কিছু সময়ৰ পাছতে জুৰি, সীমা, আৰিফ, নিমিষাহঁতেও যোগ দিলে সন্ধ্যাহঁতৰ লগতে। পুলটোতে বহি বহু সময় আড্ডা মাৰিলে সিহঁতে। কাইলৈ সকলো যাবগৈ। সৌ সিদিনালৈকে অচিনাকি হৈ থকা সিহঁত এই ছটা মাহতে যে কেনেকৈ পৰিয়ালৰ দৰে হৈ পৰিছিল। সেইবাবেই ইউনিভাৰ্চিটি এক মিলনভূমি। ইন টাইমৰ সময় হ'বলৈ হোৱাত সকলো যাবলৈ ওলাল। এবাৰ অভিমন্যুয়ে সন্ধ্যাৰ কাষ চাপি ক'লে,

"ফোন চোন কৰি থাকিবি।"

তাই হাঁহি এটা মাৰি আঁতৰ হ'ল। তাৰ সুৰটোত যেন এক কৰ্তৃত্ব আছিল। কিহৰ কৰ্তৃত্ব বাৰু? মৰমৰ? ভালপোৱাৰ? নুবুজে সন্ধ্যাই।

হোষ্টেলতো আজি সকলোৰে ৰুমে ৰুমে আড্ডা। যেন এমাহৰ কথাখিনি আজিয়েই পাতি ল'ব। আড্ডাবোৰ সামৰি কাপোৰ জাপিবলৈ লাগিছিল সন্ধ্যাই। সময় প্ৰায় এক মান বাজিছিল হ'বলা। এনেতে ফোনটো বাজিল। অনুৰণে কৰিছে। ৱাহ, আজি মেচেজ নিদি ফোন কৰিলে চোন। সন্ধ্যাই উঠালে,

"কি কৰিছা?" সি সুধিলে।

"কাপোৰ জাপি আছোঁ। কোৱা চোন।" তাই ক'লে।

Kaushik

"কথা এটা আছিল।"

"অঁ কোৱা।"

"এবাৰ হোষ্টেলৰ আগফালে আহিব পাৰিবা নেকি?"

অনুৰণৰ কথাত সন্ধ্যা অলপ আচৰিতেই হৈছিল। কি বা হ'ল। তাই একো নকওঁতেই সি আকৌ ক'লে,

"মানে পাঁচশ এটাৰ খুচুৰা হ'ব নেকি?"

তাৰ কথাত আৰু হে আচৰিত হ'ল তাই। চাৰিশ আৱাসীৰ বয়জ হোষ্টেলত থকাৰ পাছতো তাইক খুজিছে যে খুচুৰা। কিন্তু তাক নো কি বুলি সুধিব। সেইবাবেই আছে বুলি কৈ মাতিলে তাক।

"গৈ আছোঁ" বুলি ফোনটো থ'লে সি। প্ৰায় তিনি মিনিট মানৰ পাছত সি দিয়া মিচ কল পাই খুচুৰাখিনি লৈ সোৱণশিৰীৰ তললৈ নামি আহিলে সন্ধ্যা। গেটৰ কাষতেই ৰৈ আছিল অনুৰণ।

"কাইলে যাবা গৈ?" তাই আহোঁতেই সি সুধিলে।

"উম, তুমি?" বন্ধ গেটখনৰ সিপাৰে ৰৈ সন্ধ্যাই ক'লে।

"কাইলে ৰাতি আছে গাড়ী।"

"অহ।"

কি ক'ব একো যেন মুখৰ পৰা ওলোৱা নাছিল। এনেতে কিন কিন বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে। যেন কাইলৈৰ পৰা খালী হ'বলৈ ওলোৱা কেম্পাছটোৱে দুখতে বিনাইছে। সন্ধ্যাই ক'লে,

"বৰষুণ আহিছে।"

"আহক দিয়া।" অনুৰণে ক'লে। তাৰ চকুলৈ চাইছিল সন্ধ্যাই। ইমান শান্ত কিয় চকুহাল তাৰ? অনুৰণেও চাইছিল। কিনকিনিয়া বৰষুণ জাকে লাহে লাহে তিয়াইছিল সিহঁতক। সন্ধ্যাই আকৌ ক'লে,

"যোৱা গৈ ৰণ। তিতিবা নহ'লে।"

Kaushik

"উম, যাওঁ।" বুলি সি ঘূৰিছিলেই। তেনেতে সন্ধ্যাই আকৌ মাত দিলে,

"পইছা?"

"অহ, পাহৰিছিলোঁ। দিয়া।" অনুৰণৰ কথা বুজি নাপালে সন্ধ্যাই। যিটো কাৰণে আহিছিল, সেইটোৱে পাহৰিলে নে? সঁচাকৈ অকল পইছা নিবলৈকে আহিছিল নে সি?

সন্ধ্যাই পইছাকেইটা আগবঢ়াই দিলে। অনুৰণে হাত পাতি লৈ পাঁচশ টকাৰ নোটখন দিলে তাইক।

সন্ধ্যা ভিতৰলৈ সোমাই গৈছিল। অনুৰণে চাই ৰৈছিল চকুৰ আঁৰ নোহোৱালৈকে। বৰষুণ পৰিয়ে আছিল। অনুৰণৰ কাষৰ নাহৰ জোপাৰ পাত এখিলাত ৰৈ গৈছিল টোপাল এটা। যেন পাতখিলাই উচুপিছে হে। অনুৰণ থিয় হৈ ৰৈয়ে আছিল। লাহে লাহে ভিতৰলৈ সোমাই সন্ধ্যা এটা সময়ত নেদেখা হৈছিল গৈ। সোৱণশিৰীৰ সমুখৰ ৰুমটোত লগাই থোৱা "মন যায়"ৰ কলিটো বাহিৰলৈকে শুনা পাইছিল,

"আৰু কিছু বেলি দেখা দিবা নেকি তোমাক চোৱাৰ বতৰ এইয়া........"

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 51

ডিচেম্বৰতেই বছৰটো শেষ। কিন্তু চাবলৈ গ'লে ডিচেম্বৰত যেন আৰম্ভহে হয় উৎসৱৰ বতৰ। নতুন বছৰৰ আদৰণি জনাই শেষ নৌহওঁতেই আহি পাই অসমীয়া প্ৰাণৰো আপোন ভোগালী। মাঘ বিহু ; চহা জীৱনৰ অপৰিহাৰ্য্য অংগ। আন ঠাইৰ দৰেই সন্ধ্যাহঁতৰ গাঁৱতো চুবুৰীটোৰ আটাই কেইঘৰে মিলি সমূহীয়াকৈ ভেলাঘৰ আৰু মেজি সাজি ভোজ ভাত খায়। আজিকালি অৱশ্যে বহুতে ৩১ ডিচেম্বৰৰ দিনাও নতুন বছৰ আদৰাৰ বাবে খানা নোখোৱা নহয়। পিছে সন্ধ্যাহঁতৰ ঘৰত সেইদিনা বিশেষ একো নহয়। ইংৰাজী নতুন বছৰ আমি কিয় পাতিম বুলি ককাকে একে আষাৰেই নাকচ কৰে। পিছে সন্ধ্যা আৰু খুৰাক বৰদেউতাকহঁতৰ ল'ৰা ছোৱালী কেইটাই মিলি চোতালতে ৰান্ধি বাঢ়ি খায়। সেইটোত ককাকেও একো নকয়। ঘৰৰ ডাঙৰ খিনি তাত চামিল নহয় মুঠতে।

একত্ৰিছ ডিচেম্বৰৰ দিনা সন্ধিয়া সময়তেই ফাৰ্ষ্ট ছেমিষ্টাৰৰ ৰিজাল্ট দিলে। সিহঁত গোটেইবোৰৰ খং উঠিছিল। এইটো কিবা সময় হ'ল নে? অলপ পাছত নিউ ইয়েৰ পাৰ্টিবোৰ আৰম্ভ হ'ব আৰু এই সময়ত ৰিজাল্ট দিছে। সন্ধ্যাৰ বৰ বেছি ভালো হোৱা নাই আৰু একেবাৰে বেয়াও হোৱা নাই ৰিজাল্ট। ফাৰ্ষ্ট ক্লাছটো ৰৈছে আৰু। মনশ্ৰীৰ আৰু প্ৰীতিষাৰ ক্লাছটোৰ ভিতৰতে পইন্টাৰ বেছি। কিন্তু সন্ধ্যা আচৰিত হৈছিল, ল'ৰাকেইটাৰ ভিতৰত সকলোতকৈ বেছি হৈছে অনুৰণৰ। সন্ধ্যা আচৰিত হোৱাৰ কাৰণ হ'ল অনুৰণে কেতিয়াও পৰীক্ষা বুলি সিহঁতৰ নিচিনাকৈ পাগলৰ দৰে নপঢ়ে। একেবাৰে ঠাণ্ডা হৈ পঢ়ি যায়। আৰু এইটোও নহয় যে সি দৈনিক পঢ়ি যায়। তেন্তে? সন্ধ্যাৰ লগতে অভিমন্যুহঁতো আচৰিত হৈছিল। বুজি পাইছিল সকলোৱে অনুৰণ সঁচাকৈয়ে চোকা। অলপ ছিৰিয়াছ হৈ পঢ়া হ'লে চাগে ক্লাছৰ টপাৰ সিয়ে হ'ল হেঁতেন। সন্ধ্যাই এবাৰ ভাবিছিল, ফোন এটা কৰিব নেকি? পিছে নকৰিলে। আজি এনেও নিউ ইয়েৰ পাৰ্টি, গতিকে অনুৰণ কি অৱস্থাত আছে তাই অনুমান কৰিব পাৰে। তাই জানে সি বাকীবোৰৰ দৰে মাতাল নহয়, হ'লেও আৰু। তাতকৈ কাইলৈকে কৰিব।

ভোজ ভাত খাই সন্ধ্যা আৰু পাপৰিহঁতে বাৰ বজালৈকে ৰৈ থাকি জুহালতেই আড্ডা মাৰি আছিল। এই ডিচেম্বৰৰ ঠাণ্ডাত জুহালৰ আমেজেই বেলেগ। আজিকালি গাওঁবোৰতো নতুন বছৰৰ বাৰ বজাত ব'ম ফুটাবলৈ ল'লে। ককাকে চাগে ভিতৰতে গালি পাৰিছে। ভুল তেওঁলোকৰো নাই। এয়াই সময়, সময়ৰ লগে লগে সলনি হ'বই।

Kaushik

পুৰণি নিয়ম ভাঙিবই, নতুনকৈ গঢ়িবই। সোঁতত যোৱাৰ বাহিৰে মানুহৰ হাতত আছেই বা কি? বাৰ বজাৰ লগে লগে সন্ধ্যাই অভিমন্যুলৈ ফোন লগালে নতুন বছৰৰ শুভেচ্ছা দিবলৈ। আচলতে তাই সাৰে থকাৰ এটা কাৰণ সেইটোৱে কিজানি। তাক নতুন বছৰৰ প্ৰথম শুভেচ্ছাটো তাই নিজে দিব। ফোনটো উঠায়ে মাতো নামাতোকৈ মাতটো দিলে সি,

"ঐ, ক"

মাতত টোপনিৰ জাল স্পষ্ট। আচৰিত হ'ল সন্ধ্যা। এইটো আজিও ইমান সোনকালে শুলে যে। আচৰিত হৈ সুধিলে,

"শুলিয়েই যে তই। আজি নিউ ইয়েৰ নহয় নেকি?"

"টোপনি ধৰিলে আৰু, কিনো কৰিম? ক, কি হ'ল?"

টোপনিতে ক'লে সি বিৰক্তিৰে।

"নাই, Wish কৰিবলেকে ফোন কৰিছিলোঁ। Happy New Year"

কওঁ নকওঁকৈ সন্ধ্যাই ক'লে। অভিমন্যুৰ একেই স্বৰ,

"ৰাতিপুৱা কৰা হ'লেওতো হয়। সাৰ পোৱাই দিলি। হ'ব দে থেংকচ।"

ফোনটো কাটি দিলে তাই। নতুন বছৰৰ প্ৰথম দিনৰ প্ৰথম ফোনটোতে এই ব্যৱহাৰ পাই চিঞৰি চিঞৰি কান্দিবলৈ মন গৈছিল সন্ধ্যাৰ। মানুহে কিয় ভাবিব নোৱাৰে কাৰোবাৰ মনত বিষাদৰ ধুমুহা বলাবলৈ যে মাত্ৰ এষাৰ কথাই যথেষ্ট। তাই জানে, কাইলৈ ৰাতিপুৱাই অভিমন্যুয়ে ফোন কৰি এই ব্যৱহাৰৰ বাবে ক্ষমা বিচাৰিব। "sorry" বুলিও ক'ব। কিন্তু ছ'ৰী শব্দটোৱে অন্তৰৰ ঘাঁবোৰ শুকুৱাব পাৰে জানো? নোৱাৰে, কেতিয়াও নোৱাৰে।

"ৰুণজুন বা, ভিনদেউৰ লগত কথা পতা হ'ল নে?"

চুমনৰ মাতত গোটেই কেইজনীয়ে খিল খিলাই হাঁহি উঠিল। সন্ধ্যাই মুখ ফুটাই নক'লেও তাইৰ ব্যৱহাৰত সিহঁত কেইজনীয়ে সন্দেহ কৰিছিলেই যে ইউনিভাৰ্চিটীত কোনোবা বিশেষ এজনক লগ পাইছে সন্ধ্যাই। এতিয়া ফোন কৰিবলৈ সিহঁতৰ লগৰ পৰা উঠি অহা বাবেই জোকাইছে। খুব কষ্টেৰে সিহঁতৰ আগত ৰখাই থোৱা চকুপানী খিনি বিচনাত পৰাৰ লগে লগেই বৈ আহিল সন্ধ্যাৰ। তাই জোৰকৈ চকু কেইটা মুদি শুবলৈ

Kaushik

চেষ্টা কৰিলে। কিন্তু পৰা নাই। এই টোপনিবোৰো বৰ স্বাৰ্থপৰ, বিষাদৰ সময়তেই লগ এৰি যায়। শেষত উপায় নাপাই মোবাইলটোকে উলিয়ালে। নৱ বৰ্ষৰ শুভেচ্ছা বাণীৰে ভৰি পৰিছে হোৱাটছ এপ, ফেচবুক। কিন্তু নাই, সন্ধ্যাৰ যেন কাৰো লগতেই কথা পতাৰ মন নাই। সঁচাই, কাৰোবাৰ মনৰ ইমান গভীৰতালৈও প্ৰৱেশ কৰিব নালাগে য'ৰ পৰা উলিয়াই দিলে আশ্ৰয়হীন হৈ পৰা যায়। এনেই ফেচবুকৰ নিউজফিড খুচৰি থাকোঁতেই এটা মেচেজ আহিল হোৱাটচ এপত। সন্ধ্যাই বাকীবোৰৰ দৰেই আঁতৰাব খোজোতেই দেখিলে অনুৰণে দিছে। তাই খুলি চালে,

"Happy New Year Sandhya"

বেলেগ হোৱা হ'লে সন্ধ্যাই একো নিদিলে হয়। কিন্তু অনুৰণক যে তাই উপেক্ষা কৰিব নোৱাৰে। পাৰিবনো কেনেকৈ অভিমন্যুৰ প্ৰতি থকা প্ৰতিটো অভিযোগৰ যে এটাই ঠিকনা, অনুৰণ। কাকো ক'ব নোৱাৰা কথাবোৰ তাকহে খুলি ক'ব পাৰে তাই। তাই লিখিলে,

"Thank you, but happy nohoi sad year he hobo jen pau o" লগত দুটা emoji 😔😔

অনুৰণেও লগে লগে দিলে,

"Kio o, kihor eman dukh o suali?"

মেচেজটো দেখিয়ে হাঁহি উঠি গ'ল সন্ধ্যাৰ। কথা সোধাৰ সুৰ চাচোন তাৰ। হাঁহি হাঁহিয়ে তাই লিখিলে,

"Mur bohut dukh o Lora"

হয়তো অনুৰণৰো হাঁহি উঠিছিল। অলপ ৰৈ সি দিলে,

"Lagila mane Abhi r logot?"

সন্ধ্যা সদায় হোৱাৰ দৰে আজিও আচৰিত হয়, কেনেকৈ জানি যায় এই ল'ৰাটোৱে? কেনেকৈ যে পঢ়ি পেলাই মনটো।

"Kenekoi gom pua o tumi?"

সন্ধ্যাৰ প্ৰশ্নটোৰ উত্তৰ সদায় দিয়াৰ দৰেই দিলে অনুৰণে,

"Tumak buji pau tu"

সঁচাই, অনুৰণে বুজি পাই তাইক। হয়তো অভিমন্যুতকৈও বেছি। সেইবাবেইতো অনুৰণ তাইৰ আটাইতকৈ ভাল বন্ধু। বন্ধু? এই শব্দটো তাই উৰণিৰ দৰে ব্যৱহাৰ কৰিছে

Kaushik

নেকি? অনুৰণৰ পৰশত হোৱাৰ তাইৰ অনুভৱখিনি, কঁপনিখিনি সেইয়াও বন্ধুত্বনে? ছিহ, কি ভাবিছে এইবোৰ তাই? অনুৰণে গম পালে তাইক চাগে নমতায়ে হ'ব। আৰু সীমা, নিমিষাহঁতে কি ভাবিব? ঘূৰি ফুৰে অভিমন্যুৰ লগত, সকলোৱে জোকাইও অভিমন্যুৰ লগত কিন্তু মনৰ ক'ৰবাত অনুৰণৰ ছবি? নাই নাই। এইবোৰ তাইৰ ভ্ৰমৰ বাহিৰে একো নহয়। যাযাবৰী ভাৱবোৰক মনলৈ আহিবলৈ নিদিয়াই ভাল। কিন্তু সন্ধ্যাই বুজা নাছিল, অনুভৱবোৰক হেঁচি ৰখাৰ পৰিণাম কিমান কষ্টকৰ হ'ব পাৰে।

অনুৰণক অভিমন্যুৰ কথাখিনি ক'লে সন্ধ্যাই। কিদৰে আগৰ দৰেই এতিয়াও তাইৰ হেঁপাহবোৰক নেওঁচা দিছে সি। অনুৰণে বুজালে,

"Sua, Abhimanyu hotor ghorot manuh khub xunkale xui jai. Aru tak tu janai hostel t thakileu khub besi 11 ta. Tat koi deri nokorei. Gotike tumi phone korute tuponi te kiba kole sage. Eibur dhori nathakiba"

সন্ধ্যাইও ভাবিলে, হয় চাগে। তাইয়ে বেছি ভাবিছে নেকি? টোপনিৰ পৰা জগালে তাইৰ নিজৰো কম খং উঠে নে? কথাবোৰ যে কিয় নুবুজে তাই। এইবাবেই অনুৰণক ভাল লাগে। তাইৰ প্ৰতিটো কথাই ইমান মৰমেৰে বুজাই সি। মৰম? অঁ, মৰমেইতো। বন্ধুত্বত মৰম কি অস্বাভাৱিক নেকি? নহয়তো। কথাখিনি ভাবি থাকোঁতেই অনুৰণে আকৌ মেচেজ দিলে,

"Xui jua etia. New year r first din eneke thakile gutei year tu tragedy gan hunutei jabo"

আকৌ হাঁহি উঠিছিল তাইৰ। এবাৰ সন্ধ্যাই তাক জোৰকৈ আৰমান মালিকৰ নতুন গান এটা শুনাই দিছিল,

"Main rahu ya naa rahu

Tum mujh mei baki rehnaaa....."

জোৰকৈ আঁতৰি গৈ কৈছিল সি,

"কাণৰ পৰা তেজ ওলাই যাব ৰে"

হাঁহি হাঁহি থাকিব নোৱাৰা হৈছিল সন্ধ্যা। হাঁহি হাঁহিয়ে সুধিছিল,

"ইমান unromantic কিয় হা তুমি?"

সিও কৈছিল,

"তুমি ইমান over romantic কিয়? অকল ট্ৰেজেডী আৰু ৰোমান্স।"

Kaushik

এনেকুৱা সময়ত অনুৰণক জোকাই তাইও খুব ভাল পায়। তাৰ সৰু ল'ৰাটোৰ দৰে কৰা ব্যৱহাৰত তাইৰ খুব হাঁহি উঠে। সি আঁতৰি যোৱা দেখি তাই চিঞৰে,

"তোমাৰ বিয়াত মই অকল ৰোমান্টিক গান লগাম চাই থাকা।"

"কইনা এৰি পলাম মই।" বুলি চিঞৰ এটা মাৰি সিও যায়গৈ। এইফালে হাঁহি হাঁহি অৱস্থা নোহোৱা হয় সন্ধ্যাৰ। তাৰ মেচেজটো দেখি সেই ঘটনাটোলৈ মনত পৰি আকৌ হাঁহি উঠিল তাইৰ। কিন্তু আচৰিত ধৰণে ৰোমান্স বেয়া পোৱা ল'ৰাটোৱে তাইৰ অভিমন্যুৰ লগত ৰোমান্টিক কাহিনীটোত মূখ্য ভূমিকা লৈ আছিল।

মোবাইলটো থৈ টোপনিত পৰিছিল সন্ধ্যা। অলপ আগৰ গধূৰ মনটো তেতিয়ালৈ পাতল হৈছিল। চকুলৈও নামিছিল প্ৰশান্তিৰ তন্দ্ৰা।

নিউ ইয়েৰৰ পাছৰ পৰাই মাঘৰ যোঁ জা চলিছিল। অৱশ্যে এইবাৰ মাঘৰ লগতে আৰম্ভ হৈছিল বিধান সভা নিৰ্বাচনৰ বতৰ। পেপাৰে পত্ৰয়েও ওলাইছিল, দীৰ্ঘ কাল ধৰি শাসনত থকা পুৰণি দলটোক উফৰাবলৈ অন্য দুটা দলে মিত্ৰতা কৰাৰ কথা। ৰাইজেও আশা কৰিছে এখন "নিজৰ চৰকাৰ" হওঁক। মাঘৰ সময়ত জুবিনৰ "পৰ্বতৰ ঢে ঢেকীয়া"ৰ লগতে আন এটা গানো লাহে লাহে জনপ্ৰিয় হৈ উঠিছিল,

"সকলোৰে আনন্দ....."

কিছুমান অৱশ্যে ভাল পোৱা নাছিল। লংকালৈ গ'লে ৰাৱণ হয় বুলি আঁতৰি আছিল। কিন্তু তাৰ মাজতে বহুতে এখন নতুন অসমৰ সপোন দেখিছিল। মুঠতে অসমৰ আন আন ঠাইৰ দৰে সন্ধ্যাহঁতৰ গাঁওখনকো ৰাজনীতিৰ বতাহে বাৰুকৈয়ে চুইছিল।

এইকেইদিন খুৱাক হঁতে মানুহ লগাই নৰা কাটিছিল। সন্ধ্যাহঁতৰ ঘৰৰ ওচৰৰ পথাৰখনতে ওখকৈ মেজি আৰু ভেলাঘৰ সজা হৈছিল। সন্ধ্যাহঁতে মাজে মাজে পাক একোটা মাৰে। কাম কৰি থকা ডেকাহঁতে সিহঁতক দেখি চিঞৰ এটা মাৰি বিহুটো জুৰিবলৈ নেৰে,

"পুহৰে বতৰত ঠেঁটুৱৈ লাগিলোঁ

তোমালৈ পৰিছে মনত,

মাঘৰ বিহুতে আহিবা লাহৰী

Kaushik

বৰভোজ খামগৈ বনত।"

সন্ধ্যাই হাঁহি হাঁহি আঁতৰি আহে। পিছে খুৰাকৰ জীয়েক মাজনীৰ চোকা মুখৰ কথা গোটেই চুবুৰীয়ে জানে। সন্ধ্যাহঁতে একো নক'লেও মাজনীয়ে মুখতে কয়,

"কলঙৰ পানীতে দলঙা পাতিলোঁ

লাগিলে পাভ কাৰৈ শ'ল,

চাৰিআলিৰ বজাৰত পাটৰ কাপোৰ কিনিলৈ

মাঘতে পলাই যাওঁ ব'ল।"

মাজনীৰ উত্তৰত ডেকাহঁতেও লাজ পাই তলমূৰ কৰে। সন্ধ্যাহঁতে হাঁহি হাঁহি ঘৰ পাইহি। এইদৰে মাঘৰ উৰুকা পালেহি। পিছে অইন বাৰৰ দৰে সন্ধ্যাৰ মনটো ভাল নহয়। কাৰণ বিহুৰ পিছদিনাৰ পৰাই নতুন ছেমিষ্টাৰৰ ক্লাছ আৰম্ভ হ'ব। গতিকে তাই বিহুৰ দিনাই আবেলি যাবগৈ লাগিব। কথাটো ভাবিলেই মনটো যেন গধূৰ হৈ আহে। কেনেকৈ বাৰু বিহুৰ দিনটোতে ঘৰৰ পৰা ওলাই যায়? এই ইউনিভাৰ্চিটীখন চেন্ট্ৰেলৰ হ'ল বুলি বিহুটো অসমীয়াৰ বাবে কি সেইটো নো নুবুজে নে? কিন্তু বেয়া লাগিলেও উপায় নাই, কাৰণ TU এনেকুৱাই।

উৰুকাৰ দিনা মনটো মাৰি জুইকুৰাৰ ওচৰতে বহি আছিল সন্ধ্যা। পথাৰত আজি ভোজ। সকলোৱে নিজৰ নিজৰ কামৰ ব্যস্ত। পিছে সন্ধ্যাহে জুপুকা মাৰি আছে। তাইৰ মনটো ভাল লগাবলৈকে সোণটি খুৰাই ঢোলটো উলিয়াই লৈ বিহুকে জুৰিলে,

"শৰতৰ ধুনীয়া মাই জনী ঐ জোনেবাই

আকাশৰ ঐ জোনেবাই,

মৰতৰ ঐ ধুনীয়া তুমি...."

ঢোলৰ মাত শুনিয়েই গোটেই মখা ওচৰ পালেহি। চুমনহঁতে কঁকাল ঘূৰালেই। কাকু দায়ে সেয়া পিছৰ খিনি জুৰিলেই,

"অ' মৰতৰ ধুনীয়া কঁকাইটি ঐ সেইজনী

ছোৱালী ঐ সেইজনী,

যিজনীয়ে মাতে মোক সোণ বুলি ককাইটি,

Kaushik

মিচিকি হাঁহি মাৰি,

তিনিআলিত লগে পাই মোক।"

এপাকত পাপৰিয়ে জোৰ কৰি সন্ধ্যাকো উঠাই নিলে। সিহঁতৰ বিহুত মাজৰাতিও জী উঠিছিল পথাৰখন। ৰাতি ভোজ ভাত খাই ল'ৰাবোৰ তাতে থাকিল আৰু জীয়ৰী বোৱাৰী ঘৰ সোমালহি। পিছদিনা কাউৰী পুৱাতে উঠি গা পা ধুই গোটেই বোৰে মেজিৰ ওচৰ পালেগৈ। আয়তীৰ উৰুলি আৰু খোল কাঁহৰ শব্দৰ মেজিত জুই দি সকলোৱে বছৰটো কুশলে যাবলৈ আশীৰ্বাদ ল'লে।

সেইদিনাই আবেলিলৈ আইতাকে দিয়া বৰপিঠা, মামীয়েকে দিয়া নাৰিকলৰ লাৰু, খুৰীয়েক হঁতে দিয়া তিল পিঠা, মাকে বনাই দিয়া কেক আৰু চকুত চকুপানী লৈ সন্ধ্যা আহি ইউনিভাৰ্চিটীত সোমালহি।

Kaushik

এমাহৰ মূৰত চিনাকি চহৰখন দেখি সন্ধ্যাৰ ঘৰ এৰি অহাৰ দুখটো অলপ হ'লেও পাতলিছিল। গেটত সোমাওতেই দুয়োফালে থকা শাৰী শাৰী নাহৰবোৰে যেন মৰমেৰে আদৰিছিল সেউজীয়াবোৰৰ মাজলৈ। সঁচাকৈ, তোৰণখন পাৰ হৈয়ে দীঘলীয়া ৰাস্তাটোৰ দুই কাষৰ এই গছৰ শাৰীবোৰে মনটো কিবা এটা ভৰাই তোলে। তাতে নতুন বছৰৰ বাবেই যেন নাহৰৰ পাতবোৰেও ৰাঙলী বৰণ লৈছে।

সন্ধ্যাক থৈ দেউতাক উভতিল। ইমান দিনৰ মূৰত ৰুমটোত সোমাই গোটেই ৰুম ধূলিৰে পোত খাই থকা দেখিলে তাই। তথাপি কামবোৰ কৰাৰ আগত তাই এবাৰ অভিমন্যুলৈ ফোন লগালে। সিও আজিয়ে অহাৰ কথা। কালি নিজেই ফোন কৰি কৈছিল সন্ধ্যাক,

"কেম্পাছত সোমায়েই মই তোক পাব লাগিব কিন্তু।"

তাইতো পালেহি। সি পালেহি বা নাই। দুবাৰ ৰিং হোৱাত ফোনটো ধৰিলে। পিছে সন্ধ্যা আচৰিত হ'ল, কাৰণ ফোনটো উঠাই "হেল্লো" বুলি কৈছিল এজনী ছোৱালীয়ে।

"অভি নাই নেকি?" সন্ধ্যাই সুধিলে।

"আছে, বাছতে টোপনি গ'ল। জগাই দিম নেকি?"

ছোৱালীজনীৰ মাতটো বৰ মিঠা। কিন্তু কোন বাৰু? চিনাকিতো নহয়েই। তেন্তে অভি কাৰ লগত আহিছে? কৌতূহল দমাব নোৱাৰি সন্ধ্যাই সুধিয়েই পেলালে,

"তুমি কোনে কৈছা?"

"মই শৰ্মিষ্ঠা।" সিফালৰ গৰাকীয়ে ক'লে। শৰ্মিষ্ঠা? কোন এইজনী? ইউনিভাৰ্চিটীত অভিৰ লগৰ কোনোবা শৰ্মিষ্ঠা নামৰ ছোৱালী আছে, আৰু সন্ধ্যাই নাজানিব সেয়াতো সম্ভৱেই নহয়। তাৰ ঘৰতো শৰ্মিষ্ঠা নামৰ কোনো নাই বুলি সন্ধ্যাই জানে। তেন্তে? কোন এই শৰ্মিষ্ঠা?

(আগলৈ)

#নিৰিবিলি

Part 52

"Mera piya ghar aya ooo ram ji,

Mera piya ghar aya ooo ram ji.."

ৰীণা বাই চিঞৰি চিঞৰি ৰুমলৈ সোমাই অহা দেখি ফোনটো কাটিলে সন্ধ্যাই। কিন্তু মনত ওলমি ৰৈছিল এটা প্ৰশ্নবোধক।

"তই পূৰা শকতজনী হৈ আহিছ দেই। দে দে কি কি আনিছ দে।", ৰীণা বা বিচনাতে বহিবলৈ লৈছিলেই, সন্ধ্যাই ক'লে,

"এই ৰ'বা ৰ'বা, গোটেই ধূলি। মই চাফা কৰি লওঁ, তাৰ পাছত দি আছোঁ তোমাক।"

"ঠিকে আছে, ৰহ মইও লাগি দিছোঁ" বুলি ৰীণা বাও সন্ধ্যাৰ লগতে ৰুম চাফা কৰিবলৈ লাগিল। মকৰা জাল, এলান্ধু গুছাই, ঠাই সাৰি ৱাৰ্ড ড্ৰব চাফা কৰি তাত কাপোৰ বোৰ বেগৰ পৰা উলিয়াই সজাই থয় মানে প্ৰায় এক ঘন্টা মানেই লাগিল সন্ধ্যাহঁতৰ। ৰীণা বা নথকা হ'লে তাইৰ যে আৰু কিমান দেৰি লাগিল হেঁতেন ঠিক নাই। কামখিনি কৰি অঁতাই মানে দুয়োজনীৰ ঘামত অৱস্থা কাহিল হোৱাত ৰীণা তাইৰ ৰুমত গা ধুবলৈ গ'ল। সন্ধ্যাইও গাটো ধুই আহি ধূপ কেইডাল মান জ্বলাই দিলে ৰুমত। অলপ পাছতে বিদিশা বা আহি পালেহি। ৰুম দেখিয়েই তাই সন্ধ্যাক সাৱট মাৰি ধৰি ক'লে,

Kaushik

"তই যে ইস্মান ভাল। প্ৰতিবাৰেই বন্ধৰ পৰা আহি মই ৰুম চাফা কৰিব লাগে। এইবাৰ ৰুমটোত সোমায়েই মনটো ভাল লাগি গৈছে।"

হয়, সন্ধ্যাই বৰ পৰিপাটীকৈ ৰাখে ৰুমটো। পৰ্দাৰ কাপোৰৰ পৰা বেড ক'ভাৰলৈকে বগা ৰং ব্যৱহাৰ কৰাৰ বাবেই নেকি তাইৰ ৰুমটোত সোমায়েই কিবা এক প্ৰশান্তিৰ অনুভৱ হয়। বিদিশাই গা ধুই আহে মানে ৰীণা আৰু দীপাও পালেহি। গোটেই কেইজনীয়ে সন্ধ্যাই উলিয়াই অনা পিঠা আৰু কেকবোৰ খাই খাইয়ে আড্ডা মাৰিবলৈ ল'লে। কত যে কথা। এমাহ নপতাকৈ থকাবোৰ আজিয়ে যেন শেষ কৰিব। কথাৰ মাজতে দীপা বাই কৈছিল,

"এইবাৰতো আমাৰ শেষ।"

হঠাৎ মনটো সেমেকি গৈছিল গোটেই কেইজনীৰ। বিশেষকৈ সন্ধ্যাৰ। এই যে এনেকৈ আবেলি ঘৰৰ দৰে একেলগে বহি কথাৰ মহলা মৰাৰ আমেজটো আৰু মাত্ৰ পাঁচ মাহৰ বাবেহে। সিহঁত গোটেই কেইজনী ওলাই যাবগৈ। অকলে থাকি যাব সন্ধ্যা। চিনাকি মুখবোৰ আঁতৰি গ'লে চিনাকি চহৰবোৰো যে অচিনাকি হৈ পৰে। বিদিশাৰ চকু ভৰি আহিছিলেই তেনেতে ৰীণাই ক'লে,

"ঐ, এতিয়াৰ পৰাই এইবোৰ আৰম্ভ নকৰিবি দেই। কান্দিবলৈ বহুত দিন আছে।"

সঁচাই, আচৰিত এই সময়। ফুলবোৰ ফুলি ফুলি মৰহি যোৱাৰ দৰেই ভাল লগা দিনবোৰো সোনকালেই গুছি যায়। কিন্তু ফুলৰ সুবাসৰ দৰে স্মৃতিবোৰ থাকি যায় হৃদয়ৰ মণিকোঠত।

দীপাহঁত যোৱাৰ পাছত ভাত হোৱাৰ আগে আগে সন্ধ্যাক জগাই দিবলৈ কৈ টোপনিত পৰিল বিদিশা। সন্ধ্যাই বেগতেই ঘৰৰ পৰা অনা পিঠাৰ টেমাটো লৈ অকলেই মহামায়া বুক ষ্টল পালেগৈ। গৈ পোৱাৰ লগে লগেই বকুল দাই "আহি গ'ল আমাৰ সন্ধ্যা ৰাগিণী" বুলি যেন আদৰিলে তাইক। সঁচাকৈ, এইখনো লাহে লাহে ঘৰৰ দৰেই হৈ গৈছে সন্ধ্যাৰ বাবে। ঘৰৰ পৰা অনা পিঠাখিনি বকুল দা আৰু প্ৰশান্ত দাক উলিয়াই দিলে সন্ধ্যাই। সদায়ৰ দৰে প্ৰশান্ত দাই অনা চাহকাপৰ সৈতে গোটেই কেইটাই কথা পাতি পাতি পিঠা খালে। সন্ধ্যাৰ ঘৰৰ খা খবৰো ল'লে বকুল দাহঁতে। তাতে অলপ সময় থাকি সন্ধ্যা ওলাই আহিল তাৰ পৰা।

Kaushik

মাজতে নিমিষাই ফোন কৰিছিল। অলপ পাছত তাইও আহিব হেনো ওলায়। সন্ধ্যাৰ পিছে অকলেও বেয়া লগা নাছিল।

বহুদিনৰ পিছত সন্ধ্যা তাইৰ প্ৰিয় ঠাই টুকুৰাত বহিছিল গৈ। কাঞ্চনজংঘাৰ সমুখৰ পুলটোত। এই পুলটো আৰু কাষৰ নাহৰ জোপাৰ যেন বহুদিনীয়া প্ৰেমৰ কাহিনী। বতাহত তললৈ দোঁ খাই আহিলেও নাহৰ জোপাই পুলটোক নুচুৱেহি। কিন্তু নাহৰৰ সৰাপাতবোৰক সদায় যেন বুকুৱেৰে আঁকোৱালি লয় পুলটোৱে। কিছুমান কাহিনী চাগে এনেকুৱাই, আঁতৰে আঁতৰে থাকিও ইজনে সামৰি লয় সিজনৰ বেদনাবোৰ। এৰা, প্ৰেম মানে জানো অকল প্ৰাপ্তি হ'ব পাৰে? সন্ধ্যা বহিল পুলটোতে। ইমান দিনৰ মূৰত বহাৰ বাবে পুলটোৱেও যে তাইৰ বতৰা সুধিছিল। এচাটি বতাহৰ লগত সৰি পৰিছিল এটি সৰাপাত। ফিল্ডখন বহুদিনৰ মূৰত আকৌ প্ৰাণ পাই উঠিছিল। গোটেই চৌহদটোৱেই ল'ৰা ছোৱালীবোৰৰ চিঞৰ, কথা বতৰা, হাঁহিৰ উকিত আকৌ সজীৱ হৈছিল। বহুদিনৰ মূৰত লগ পাই গোটেইবোৰ ওলাই অহাত কেম্পাছৰ প্ৰতিটো গলী, প্ৰতিটো পথ, প্ৰতি চুক আকৌ মায়াময় হৈ পৰিছিল। সন্ধ্যাই সেই কোলাহলৰ মাজতে বহি ৰৈছিল নিশ্চুপ হৈ। সম্পূৰ্ণ বগা টপটো আৰু বগা মাফলাৰ খনেৰে চুলি কোঁচা মেলি ৰাস্তাৰ ফালে পিঠি দি ফিল্ডৰ ফালে মুখ কৰি ভৰি ওলোমাই বহি ৰোৱা সন্ধ্যাক দেখি এনেকুৱা লাগিছিল যেন হিম চেঁচা কুঁৱলীৰ তাই মানৱী ৰূপ হে।

Kaushik

অভিমন্যু আহি পাটকাইত সোমায়েই বেগৰ সৈতে চিধা গৈছিল ময়ূঁৰৰ ৰুমলৈ। নিজৰ ৰুমত বেগ থোৱাতকৈও তাৰ বাবে যেন বেছি দৰকাৰী ময়ূঁৰক লগ কৰাটোহে। তাতে সি হেনো যোৱা সপ্তাহতেই আহিলে। য'ত নেকি অভিমন্যুহঁতে আৰু দুদিন মান বন্ধ লাগিছিল বুলি আক্ষেপ কৰে, তাত এই ময়ূঁৰ কেনেকৈ ঘৰৰ পৰা সাতদিন আগতেই আহিব পাৰে সি হে জানে আৰু। তাৰ ৰুমত সোমায়েই দেখে বিচনাৰ ওপৰত কুকুৰৰ সৰু পোৱালি এটা লৈ বিস্কুট খোৱাই আছে ময়ূঁৰে। দুৱাৰখন ধমকৈ খুলি হুৰমুৰকৈ "কি কৰিছ ঐ গৰু" বুলি চিঞৰি সোমাই অহা অভিমন্যুক দেখি ঘপকৈ উচপ খাই উঠিছিল ময়ূঁৰো। আচৰিত চৰিত্ৰ ইহঁত দুয়োটাৰে। এটা যদি শান্ত গা জুৰ পেলোৱা মলয়া, এটা আকৌ বুকু কঁপাই দিয়া ধুমুহা। তাৰ সোমাই অহাৰ ভংগীমা দেখিয়ে ভয়তে কুকুৰটোও ওলাই দৌৰ মাৰিলে। চকু ঘোপা কৰি ময়ূঁৰে ক'লে,

"পাই গ'লিহি আৰু ন?"

"য়েচ, কিমান দিন তোক কামোৰ দিব পৰা নাই। ব'ল মোৰ ৰুমত। অলপ ফ্ৰেচ হৈ ওলাই যাম দুইটা।" অভিমন্যুয়ে ক'লে।

"আহি পাইছু অলপ ৰেষ্ট ল গে চোন।" ময়ূঁৰৰ কথাত গুৰুত্ব নিদি "হেই ব'ল ঔ এইটো" বুলি তাক টানি চোঁচৰাই নিয়াৰ দৰে লৈ গ'ল অভিমন্যুয়ে।

"অভি, অভি কিয় এনেকুৱা তই? এৰচোন। অভি..." বুলি চিঞৰি চিঞৰি ময়ূঁৰো তাৰ ৰুম পালেগৈ।

ৰুমৰ বস্তুবোৰ চিজিল কৰিয়ে ময়ূঁৰক ঘৰৰ পৰা অনা নাৰিকলৰ লাৰু উলিয়াই দিলে অভিমন্যুয়ে,

"হোঁ, ল। মায়ে দি পঠাইছে। তই ভাল পাঁৱ যে।"

"মায়ে?" ময়ূঁৰে আচৰিত হৈ সুধিছিল।

"অঁ, ঘৰত কৈ থাকোঁতো তোৰ কথা। মায়ে এবাৰ তোক গোলাঘাট লৈয়ে যাব কৈছে।"

অভিমন্যুয়ে আগবঢ়াই দিয়া নাৰিকলৰ লাৰুকেইটা চুই অস্পষ্টকৈ কৈছিল ময়ূঁৰে,

"মা... মা..।"

চকুকেইটা যেন সজল হৈ উঠিছিল তাৰ। কিবা এটা সুধিম বুলিও ৰৈ গৈছিল অভিমন্যু। এনেতে অনুৰণ সোমাই আহিল ৰুমলৈ,

"ঐ, কেতিয়া আহিলা?"

"আৰে অনুৰণ, আহা আহা। মই এইমাত্ৰ পাইছোহি। লোৱা এইয়া খোৱা।"

অভিমন্যুয়ে টেমাটো তালৈও আগুৱাই দিলে। অলপ সময় থাই কথা পাতি অনুৰণ আৰু ময়ূঁৰ ওলাই আহিল অভিমন্যুৰ ৰুমৰ পৰা।

জুৰি, সীমা আৰু নিমিষাহঁত অলপ পাছত আহি সন্ধ্যা বহি থকা পুলটো পালেহি। ইমান দিনৰ মূৰত লগ পাই সিহঁতে পতা কথাৰ সুৰ ফিল্ডলৈকে পাইছিলগৈ। পিছে সন্ধ্যাৰ মনটো অলপ সেমেকি থকা যেন নিমিষাহঁতেও গম পাইছিল। তাইয়ে সুধিলে,

kaushik

"কি হ'ল সন্ধ্যা? মন চন বেয়া নেকি?"

সন্ধ্যাই নাই বুলি কৈছিল যদিও জুৰিয়ে মুখতে ধৰিলে,

"মিছাকে নক'বি। অভিমন্যুৰ লগত কিবা লাগিলি ন?"

"কাম নাই আৰু মোৰ যাৰে তাৰে লগত লাগি থাকিবলে।"

মুখখন ফুলাই সন্ধ্যাই কোৱা কথাষাৰত গোটেই কেইজনীয়ে হাঁহি খিলখিলাই উঠিল।

"কি যে হ'ব তহঁতৰ। ৰহ, মই অভিমন্যুক কল কৰোঁ।" সীমাই ফোন উলিয়ালেই। সন্ধ্যাই কৃত্রিম খং দেখুৱাই ক'লে,

"নামাতিবি সেই ডালক।"

লগে লগেই আকৌ হাঁহি। সীমাই ফোন কৰি পুলটোলৈকে মাতি অভিমন্যুক। অলপ সময়ৰ ভিতৰতে আৰিফ, ৰাজদ্বীপ আৰু অভিমন্যু আহি পালেহি।

"ৱাহ ৰাজদ্বীপ, ঘৰত খাই খাই পেট উলিয়াই দিছ দেখোন।" জুৰিয়ে হাঁহি হাঁহি ক'লে।

"হ'ব, খোৱাত চবেই খাঁৱ। আৰু বদনামটো মোৰ হয়।" ৰাজদ্বীপৰ কথাত আকৌ হাঁহিৰ জোৱাৰ। কথাটো নোহোৱা নহয় পিছে, বেচেৰা ৰাজদ্বীপক জোকাই জোকাই তাৰ আঁৰ লৈয়ে বাকী কেইটাইও ভালকৈয়ে খায়। কথাটো সেই সকলো চৰায়ে মাছ খাই, মাছৰোকাই নাম পাইৰ দৰে হয় গৈ।

"পিছে আমাৰ বয়জ টপাৰ অনুৰণ হাজৰিকা ক'ত?" জুৰিয়ে সোধাত অভিমন্যুয়ে ক'লে,

"পাইছেহি সি অলপ আগত। ৰুমতে আছে।"

এইবাৰ অথনিৰে পৰা মনে মনে থকা সন্ধ্যালৈ দেখুৱাই সুধিলে,

"পিছে আজি সেইফালে বতৰ ডাঁৱৰীয়া কিয় অ' সীমা?"

সীমাইও হাঁহি হাঁহিয়ে ক'লে,

"তই হে জানিবি। কি জগৰ লগালি।"

"ঐ, তহঁত ৰ। মোৰ হোষ্টেলত অলপ কাম আছে, যাওঁ মই।" বুলি সন্ধ্যা উঠিল। দুখোজ আগুৱাই যাওঁতেই অভিমন্যুয়ে আগভেটি ধৰিলে তাইক,

Kaushik

"কি হ'ল মোক নামাত নি?"

"কিয়? তোক মাতা মানুহৰ অভাৱ লাগিছে নেকি?" সন্ধ্যাৰ ফুলা মুখখন দেখি যেন মৰম লাগিছিল অভিমন্যুৰ। তাইৰ গালতে চিকুট এটা মাৰি ক'লে সি,

"মাতা মানুহ বহুত আছে। পিছে সন্ধ্যাহে এজনীয়ে আছে।"

"হ'ব হ'ব। এতিয়া তেল মাৰিব নেলাগে। ঘৰৰ পৰা অকলে আহিছোঁ বুলি কৈ আহিছিলি নহয় সেই শৰ্মিষ্ঠা নে কোন সেইজনীৰ লগত। এতিয়া তাইৰ ওচৰলৈকে নাযাঁৱ কিয়?"

একে উশাহেৰে কোৱা সন্ধ্যাৰ কথা কেইটাত থকা অভিমানৰ বৰ্ণিল ৰংখিনি যেন তাইৰ মুখতো প্ৰকাশ পাইছিল।

"সেইজনী মোৰ ঘৰৰ ওচৰৰে ছোৱালী অ', নগাঁৱত পঢ়ি আছে। ইয়াত নহয়।"

অভিমন্যুৰ কৈফিয়ৎ পাইও "হুঁহ" বুলি আঁতৰিব লৈছিল সন্ধ্যা। সি আকৌ আগভেটি ধৰি চিঞৰিলে,

"পিছে কিবা এটা জ্বলা জ্বলা গোন্ধাইছে দেই। জুৰি ঔ, তহঁতে পাইছ নে?"

অভিমন্যুহঁত জুৰিহঁত থকা পুলটোৰ পৰা কেই খোজমান আঁতৰত আছিল যদিও কথাবোৰ স্পষ্টকৈ শুনা পাইছিল। অভিমন্যুয়ে সোধাৰ লগে লগেই জুৰিয়েও চিঞৰি ক'লে,

"বহুত বেছিকৈয়ে জ্বলিছে যেন পাওঁ দেই।"

"হুঁহ, মোৰ গৰজ হে পৰিছে জ্বলিবলে।"

সন্ধ্যা আকৌ আঁতৰিব খোজোতে অভিমন্যুয়ে আকৌ আগ ভেটিলে,

"ক'লোৱেই চোন তাইৰ কথা। এতিয়া তই মাত বোল কৰিবিনে? নহ'লে কিন্তু মই..."

"নহ'লে কি হা কি? কি কৰিবি তই?" মাতটো ডাঙৰ কৰি আগবাঢ়ি আহিল সন্ধ্যা তাৰ ফালে।

"তোৰ মাফলাৰ চোৰ কৰিম" বুলি সন্ধ্যাৰ বগা মাফলাৰ খন থাপ মাৰি লৈ ফিল্ডৰ ফালে দৌৰ দিলে অভিমন্যুয়ে।

Kaushik

"অভি, অভি কেঁচুৱামি নকৰ।" বুলি সন্ধ্যাও নামি গৈছিল ফিল্ডলৈ তাৰ পিছে পিছে।

পুলত বহি থকা সীমাহঁতে হাঁহি হাঁহি চাই ৰৈছিল। ফিল্ডৰ কুঁৱলীবোৰ ফালি ফালি অভিমন্যু দৌৰিছিল। বতাহত উৰি গৈছিল তাৰ হাতত থকা সন্ধ্যাৰ মাফলাৰ খন। পিছে পিছে সন্ধ্যা। মেলা চুলি কোঁচাই ঢৌৰ দৰে খেলিছিল তাইৰ। সন্ধ্যা আৰু অভিমন্যুৰ নিষ্কলুষ ধেমালিত ফিল্ডত থকা দুই এটাইও হাঁহি হাঁহি চাইছিল। অভিমন্যু এনেকুৱাই, নিজৰ লগতে আনকো জীৱনৰ প্ৰতিটো পল হাঁহিৰে উপভোগ কৰায়।

"এওঁলোকৰ আৰম্ভ হৈ গ'ল যেতিয়া আমি যোৱাই ভাল।" ৰাজদ্বীপৰ কথা হয়ভৰ দি সিহঁত কেইটা পুলটোৰ পৰা আঁতৰ হ'ল। কোনোবা গ'ল বাহিৰলৈ। কোনোবা হোষ্টেল।

অভিমন্যু দৌৰি দৌৰি ৰাস্তাত উঠিলহি আকৌ। পুলটোৰ ওচৰ পাই সি ৰ'ল। সন্ধ্যাও ফোঁপাই জোপাই সেইখিনি পালেহি। তাইৰ সঁচাকৈ খঙেই উঠিছিল। বি.এ. পঢ়ি থকা ল'ৰা এটাই এইবোৰ ল'ৰা ধেমালি কৰে নে?

"বহুত হ'ল অভি, দে এতিয়া।"

ঘন ঘনকৈ উশাহ কেইটা লৈ সন্ধ্যাই ক'লে। অভিমন্যুয়ে "হোঁ ল" বুলি কৈছিল যদিও সন্ধ্যাই হাতটো আগবঢ়োৱাৰ লগে লগে মাফলাৰখন ওপৰলৈ দলিয়াই আকৌ দৌৰিলে পাটকাইৰ ফালে।

"অভি, this is too much। বহুত অভদ্ৰ তই।" সন্ধ্যাই চিঞৰি চিঞৰি কৈছিল।

অভিমন্যু হয়তো উভতি আহিল হেঁতেনে। পিছে নীলাচলৰ সমুখতে কোনোবা এটাক পাই লেকচাৰ মৰাত লাগিল। এইফালে সন্ধ্যাই দেখে অভিমন্যুয়ে দলিওঁৱা তাইৰ মাফলাৰ খন লাগি ৰৈছে নাহৰ জোপাৰ একেবাৰে ওপৰৰ ডালটোত। খঙে চুলিৰ আগ পাইছিল তাইৰ। যদিও সেইখন মাফলাৰ, তথাপি খুব পাতল। তাতে অভিমন্যুয়ে যিটো জোৰেৰে দলিয়াইছিল, সেইখন গৈ ডালত লাগিলগৈ। সন্ধ্যাই এবাৰ পুলটোত উঠি হাঁকুটিয়াই চালে। নাই, ঢুকি নাপাই তাই সেইটো ডাল। গতিকে অভিমন্যু উভতি অহালৈকে অসহায় হৈ পুলটোতে বহি আছিল তাই। খং উঠিছিল, দুষ্টামিৰো এটা সীমা থাকিব লাগে। তাই জানে অভিয়ে তাইক জোকাই ভাল পায়। সেইবুলি এনেকৈ? ফিল্ডত খেলি থকা ল'ৰা ছোৱালীবোৰ চাই চাই বহি আছিল সন্ধ্যা। দৌৰাৰ ভাগৰটো ক্ৰমাৎ মাৰ যোৱাইছিল নাহৰ জোপাৰ বতাহে। এনেতে কোনোবাই মাতিলে,

Kaushik

"কি হ'ল, অকলে অকলে চোন।"

ঘূৰি চাই দেখে চাইকেলখন লৈ ৰৈ আছিল অনুৰণ। সন্ধ্যাই গোটেই ঘটনাটো চমুকৈ কোৱাত তাৰো হাঁহি উঠিল। আজি এমাহৰ মূৰত অভিমন্যুয়ে সন্ধ্যাক পাইছে, গতিকে তাইক নোজোকাই পাৰে নে?

"তোমাৰো হাঁহিয়ে উঠিছে মানে।" সন্ধ্যাই মুখখন ফুলাই ক'লে।

"ৰ'বা।" বুলি অনুৰণে চাইকেলখন থৈ পুলটোৰ ওপৰলৈ উঠিল। অনুৰণ সন্ধ্যাতকৈ ওখ যদিও মাফলাৰখন একেবাৰে ওপৰৰ ডালটোত লগাৰ বাবে সিও অলপ হাকুটিয়াব লগা হ'ল। শেষত যেনিবা সেইখন তাৰ হাতত লাগিল। টান মাৰি আনোতে নাহৰৰ পাতবোৰ সৰি সন্ধ্যাৰ গাত্যে মূৰে পৰিছিল। দুই এটা পাত লাগি ৰৈছিল তাইৰ চুলিত। চুলিখিনি কোবাই কোবাই পাতবোৰ আঁতৰাই আছিল সন্ধ্যাই। মাফলাৰখন লৈ অনুৰণ পুলটোৰ পৰা নামিব ধৰোঁতেই হঠাৎ পুলটোৰ দাঁতিত ভৰিটো লগাৰ বাবে ঠিক পৰি যাব ধৰিছিল। সন্ধ্যাই বাহুটোতে ধৰি ৰখাইছিল যদিও সি হাওলি যোৱা ভাঁজটো দেখি খিলখিলাই হাঁহিছিল তাই। চুলিত লাগি থকা নাহৰৰ পাতবোৰ জোকাৰি জোকাৰি হাঁহি থকা সন্ধ্যাক দেখি এপলক ৰৈ গৈছিল অনুৰণ। কেনেকৈ বুজিব সন্ধ্যাই, তাইৰ এটি হাঁহিতেই যে কাৰোবাৰ বুকুৰে পাৰ হয় হাজাৰ শব্দভেদী বাণ। পুলৰ পৰা নামি অনুৰণ সন্ধ্যাৰ কাষলৈ গৈ মাফলাৰ খন দুভাঁজ কৰি আলফুলে পিন্ধাই দিছিল তাইৰ ডিঙিত। পিন্ধাওঁতেই হঠাৎ অনুৰণৰ হাতটো অকণমানকৈ লাগিছিল সন্ধ্যাৰ গালত। ঠিক গালতো নহয় চাগে, কাণ আৰু গালৰ মাজৰ অংশত। শিয়ঁৰি গৈছিল আকৌ অলপ আগলৈকে হাঁহি থকা সন্ধ্যা। যেন এটুপি নিয়ঁৰহে সৰিছিল। অনুৰণে মাফলাৰ খনেৰে পিন্ধাই ঢাকি দিছিল সন্ধ্যাৰ খালী হৈ থকা ডিঙিটো। এবাৰত তাৰ চকুত চকু পৰিছিল সন্ধ্যাৰ। অনুৰণো ৰৈ গৈছিল। নাহৰজোপাৰ পৰা আকৌ বতাহত দুই এটি পাত সৰি পুলটোত পৰিছিল। লগতে সেই বতাহৰ হো হো শব্দটো। যেন ফাগুণ অহাৰ আগলি বতৰা। ৰাস্তাৰে যোৱা কোনোবা এটাই মোবাইলত বজাই যোৱা গানৰ কলি এটি শুনিছিল দুয়ো,

"মিঠা মিঠা আজি সপোনৰে,

অজানিতে চোৱা মন ভৰে,

দূৰণিৰে তৰাটিহে যেন জ্বলিলেহি আজি মনে মনে,

হৃদয়তে কি যে মৰমেৰে,

বুকু ভৰা বহু মৰমেৰে......"

(আগলৈ)

#নিৰিবিলি

Part 53

"এইক এইখন নমাই কেলে দিলা অনুৰণ? ওপৰতে ওলমি থাকিবলে দিব লাগিছিল।"

অভিমন্যুয়ে কথাখিনি কৈ কৈ সন্ধ্যাহঁতৰ কাষ পাইছিলহি। অনুৰণে হাঁহিছিল। সন্ধ্যাই অভিমন্যুলৈ চাই ক'লে,

"চবকে তোৰ নিচিনা অভদ্ৰ পাইছ্ নেকি?"

কথাটো কৈয়ে নোৰোৱাকৈ সোৱণশিৰীৰ ফালে খোজ ল'লে সন্ধ্যাই। তাই যোৱাৰ ফালে চাই হাঁহি হাঁহি অভিমন্যুয়ে কৈছিল,

"সঁচাই পাগলী এইজনী।"

অনুৰণেও তাইৰ ফালে চাইয়ে অস্পষ্ট মাতেৰে নিজকে কোৱাৰ দৰে ক'লে,

"ভাল লাগে।"

তাৰ অস্পষ্ট সুৰ অভিমন্যুৰ কাণত নপৰিল। সিহঁত দুয়োটা একেলগেই আহি হোষ্টেল পালেহি। সোমাওঁতেই দেৱা দাই সিহঁতক ভাল খবৰটো দিলে,

"পাটকাইত নতুনকৈ কেন্টিন খুলিব।"

"এই কি মজ্জা।" অভিমন্যু চিঞৰি উঠিল। সঁচাই ভাল খবৰ। কেতিয়াবা মাজৰাতিও ঠাণ্ডাত কঁপি কঁপি সিহঁত নীলাচল নহ'লে শৰাইঘাট পাইগৈ কেন্টিনৰ পৰা মেগী খাবলৈ। এতিয়া ইয়াতে কেন্টিনখন হ'ব যেতিয়া ভাল হ'ব বাৰু। খবৰটো বিয়পি পৰাত সকলোৰে মুখবোৰ উজলিছিল পাটকাইৰ। এৰা, ঘৰখনলৈ নতুন কিবা এটা আহিলে কাৰ নো ফুৰ্তি নালাগে।

Kaushik

সোৱণশিৰীত সোমাওঁতে সমুখৰ ৰুমতেই ৰীণা বাই দৌৰি আহি সন্ধ্যাক সাৱটি ধৰিলেহি,

"ঐ ঐ, বঢ়িয়া খবৰ এটা আছে। তই শুনিলেতো পাগল হৈ যাবি।"

পিছে পিছে আহি দীপা বাই ক'লে,

"ঐ ৰহ, এতিয়াই হুলস্থুল কৰি চবকে জনাব নালাগে। ৰুমলৈ ব'ল।"

গোটেই কেইজনী সন্ধ্যাহঁতৰ ৰুমলৈকে গ'ল। তাতেই সন্ধ্যাই খবৰটো পালে। এমাহৰ পাছতে আৰম্ভ হ'ব লগীয়া এইবাৰৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ এনুৱেল মিট অৰ্থাৎ ভাৰ্চিটী উইকৰ মেইন ফাংচনত আহিব জুবিন গাৰ্গ।

"কি? সঁচা?" সন্ধ্যা ক'ব নোৱাৰা হৈছিল। জুবিন গাৰ্গৰ প্ৰগ্ৰেম তাই আগতেও চাইছে। কিন্তু সময়ৰ লগে লগে সকলো পুৰণি হ'লেও জুবিন গাৰ্গ যেন সদায় নতুন। প্ৰতিজন অসমীয়াৰে এটি চিৰসেউজ অনুভৱ জুবিন। তাতে এই কাঞ্চনৰ চহৰত জুবিন দাৰ গান। উফ, আৰু কি লাগে? ৰীণা বাই আৰম্ভ কৰিলেই,

"এইবাৰ তেনেহ'লে আৰু ঐ নাহৰ ফুলাৰ বতৰ..."

বিদিশা বাই পিছৰ কণ ধৰিলে,

"ঐ নাহৰ মোৰ মৰমৰ..."

সন্ধ্যা আৰু দীপা বাই এপাক নাচি নাচি যোগ দিলে,

"ঐ নাহৰ ঐ নাহৰ আনিলি তই বহাগৰে খবৰ...."

সঁচাই, এনেকুৱাই জুবিন। বিহুৰ সুৰেৰে বহাগ অনা, গানৰ ভাষা মৰহা ফুলো ফুলোৱা জুবিন এক আচৰিত সত্বা।

কথাটো পিছে বেছি দিন লুকাই নাথাকিল। সকলোৰে মুখে মুখে ওলালেই,

"এইবাৰ ভাৰ্চিটী উইকত জুবিন আহিব গম পাঁৱ নে নাই?"

ভাৰ্চিটী উইক, মানে বিশ্ববিদ্যালয় সপ্তাহ। প্ৰতিখন ইউনিভাৰ্চিটীৰ দৰেই তেজপুৰ বিশ্ববিদ্যালয়তো ফেব্ৰুৱাৰীৰ শেষৰ ফালে এক সপ্তাহ জুৰি বিভিন্ন দলীয় আৰু একক প্ৰতিযোগিতা অনুষ্ঠিত হয় আৰু শেষৰ দিনা অসমৰ বিখ্যাত সংগীত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। সন্ধ্যাহঁতৰ ভাগ্য ভাল আছিল। প্ৰথম বাৰতেই আহি জুবিন গাৰ্গৰ

অনুষ্ঠান পাব। যদিও ভাৰ্চিটী উইক ফেব্ৰুৱাৰীৰ শেষত হে, তথাপি ইয়াৰ যোঁজা প্ৰথম ইউনিভাৰ্চিটী খোলা দিনাৰ পৰাই অলপ অলপকৈ হৈ থাকে। এই ভাৰ্চিটী উইকৰ বাবে এখন নাইবা দুখন ছোৱালী হোষ্টেলৰ লগত এখন ল'ৰা হোষ্টেল লগ লগাই এটা দল গঠন কৰি দিয়া হয়। আৰু প্ৰতিটো দলীয় প্ৰতিযোগিতা যেনে বিহু হুঁচৰি, একাংকিকা নাটক, ব্যংগাত্মক নাট আদিত দলীয় ভাৱে ভাগ লয়। তাৰ মাজতে কিছুমান প্ৰতিযোগিতাত আকৌ প্ৰতিখন হোষ্টেলে একক ভাৱে ভাগ লয় যেনে সাংস্কৃতিক শোভাযাত্ৰা, দিহা নাম, ইণ্ডিয়ান আৰু ৱেষ্টাৰ্ণ কোৰাছ, দলীয় নৃত্য, মাৰ্চ পাষ্ট আদি। আন কিছুমানত আকৌ শিক্ষাৰ্থীয়ে নিজাববীয়াকৈ নাইবা এজন বা দুজনীয়া দল হৈও ভাগ ল'ব লাগে, যেনে দৰা কইনা, জ্যোতি সংগীত ৰাভা সংগীত প্ৰতিযোগিতা আদি। সাংস্কৃতিক প্ৰতিযোগিতাৰ উপৰিও বিভিন্ন খেল যেনে কাবাডী, ক্ৰিকেট আদিতো প্ৰতিখন হোষ্টেলে ভাগ লয়। কত যে কাহিনী এই ভাৰ্চিটী উইকতেই আৰম্ভ হয়। পেয়াৰিং হোৱা ল'ৰা হোষ্টেল আৰু ছোৱালী হোষ্টেলৰ মাজত কিমানৰ যে হিয়া দিয়া নিয়া চলে তাৰ যেন কোনো সীমা সংখ্যা নাই। মুঠতে এই ভাৰ্চিটী উইক তেজপুৰ বিশ্ববিদ্যালয়ৰ বাবে মৰুভূমিৰ মাজৰ নিজৰা সদৃশ। অজস্ৰ স্মৃতি এই ভাৰ্চিটী উইকতেই গঢ় লৈ উঠে। লগতে গঢ়ি উঠে হোষ্টেলৰ মাজৰ অঘোষিত যুদ্ধখন।

Kaushik

কৰ্চ ৰেজিষ্ট্ৰেচনৰ পিছদিনাৰ পৰাই ধুমুহাৰ গতিত আৰম্ভ হৈছিল ক্লাছবোৰ। মাজতে সৰস্বতী পূজা পাৰ হ'ল। কিন্তু আচৰিত ভাৱে সেইদিনাও ক্লাছত বহিব লগা হ'ল সন্ধ্যাহঁত। ইয়াত এইবোৰ নাপাতে হেনো। খুব খং উঠিছিল সন্ধ্যাৰ। মনত পৰিছিল ঘৰলৈ। সৰুৰে পৰাই মাকৰ চাদৰ মেখেলা এযোৰ পিন্ধি সৰস্বতী পূজালৈ যাবলৈ কিমান যে হেঁপাহ তাইৰ। কিন্তু এইবাৰ নাই। ৰাতিপুৱাই পঢ়া টেবুলতে চাকিগছ জ্বলাই ক্লাছ পাইছিলগৈ তাই। তাইৰ দৰে বহুতৰে ক্ষোভ জাগিছিল। কিন্তু উপায় নাই, কাৰণ TU এনেকুৱাই।

সেইদিনা ক্লাছৰ পৰা অহাৰ পাছতে বিদিশাই তাইক লগ ধৰিলে,

"সন্ধ্যা, DSW ৰ অফিচলৈ ওলাবি চোন। আজি লটাৰী হ'ব। মানে কোন কেইখন বয়জ হোষ্টেল আৰু গাৰ্লচ হোষ্টেল একেলগে পৰে ভাৰ্চিটি উইকত তাৰ announce হ'ব। প্ৰতিখন হোষ্টেলৰ প্ৰিফেক্ট থাকিব লাগিব। ৰীণাহঁত নাই, গতিকে তই আৰু মইয়ে যাম।"

বিদিশাৰ কথাত লৰালৰিকৈ ভাতকেইটা খাই সন্ধ্যাও গৈ DSW অফিচ পালেগৈ।

কে বি আৰ অডিটৰিয়ামৰ কাষতে কমিউনিটী হলৰ সমুখতে DSWৰ অফিচটো। ভিতৰলৈ সোমোৱা ৰাস্তাটোৰ লগতে এজোপা কাঞ্চন। ইয়াত যে য'তে ত'তেই কাঞ্চন। গোলপীয়া ফুলবোৰ অলপ অলপকৈ ফুলি যেন জাননী দিছে বসন্তৰ। বাকী সকলো আহি নোপোৱাত বিদিশাৰ লগত সন্ধ্যা তাতে ৰৈছিল। বৰদৈচিলাৰ প্ৰিফেক্ট অনুশ্ৰী বা, নিউ ৱমেনচৰ প্ৰিফেক্ট মায়া বা, ধনশিৰীৰ প্ৰিফেক্ট শিখা বা, পবিতৰাৰ ৰুকচানা বাও ইতিমধ্যে আহি পাইছেহি। আনহাতে ল'ৰা হোষ্টেলৰ ভিতৰত নীলাচলৰ প্ৰিফেক্ট মানস দা আহি ৰৈছেহি। এজন দুজনকৈ আৰু বাকীবোৰো আহি আছিল। এনেতে পাটকাইৰ প্ৰিফেক্ট দেৱা দাৰ লগত কথা পাতি পাতি আহি পাইছিলহি অভিমন্যু। কাঞ্চন জোপাৰ তলতে সন্ধ্যাক দেখিয়েই সি তাই শুনাকৈ দেৱা দাক ক'বলৈ লাগিল,

"বুইছে দেৱা দা, আমাৰ পাটকাইৰ পেয়াৰিং সোৱণশিৰীৰ লগত নহ'লেই হ'ল।"

সন্ধ্যাই পোন্দামোৱাকৈ তালৈ চালে। দেৱা দাইও কিবা এটা বুজি পাই ইচ্ছা কৰিয়ে সুধিলে, "কিয় অ'?"

"এই সোৱণশিৰীৰ ছোৱালী মথাৰ উস্তাদি বেছি। কামত হ'লে একো নাই। দেখিবলৈও ধুনীয়া নহয়।" অভিমন্যুয়ে কোনোমতে নহঁহাকৈ ক'লে।

এনেতে সিফালৰ পৰা কাঞ্চনজংঘাৰ প্ৰিফেক্ট দীপাংকৰ দাই ক'লে,

"ইউনিভাৰ্চিটীৰ সোণ কেইজনী সোৱণশিৰীতে আছে অ' বোপাই। ভাগ্য থাকিলেহে পাবি।"

"সোণ? কি কয় হে দাদা? এই মথা সোণ নহয় এঙাৰ হে।" অভিমন্যুয়ে বিদিশা বালৈ চকু টিপ এটা মাৰি ক'লে। বিদিশাইও গম পাইছিলেই সি কাক জোকাই আছে, সেইবাবে তাইও একো কোৱা নাছিল। সমুখত বেলেগ মানুহ থকা বাবে সন্ধ্যাই একো কোৱা নোকোৱাকে আছিল। কিন্তু এইবাৰ তাইৰ সঁচাকৈ খং উঠিল। কাঞ্চনৰ ডাল এটা ভাঙি লৈ অভিমন্যুলৈ চোঁচা ল'লে,

"তোক আজি মই"

"হাৰে হাৰে, মানুহৰ আগত কি কৰিছ এইবোৰ।" অভিমন্যু দেৱা দাৰ পাছত লুকাল। সিহঁতৰ চুপতা চুপতি বোৰ দেখি তাত আমনি পাই ৰৈ থকা গোটেইবোৰে ভাল আমেজ লৈছিল।

Kaushik

"ছৰী ছৰী সন্ধ্যা। ই তোমাক জোকাবলৈ ধেমালি কৰিছে।" দেৱা দাই কোৱাত যেনিবা ডালটো পেলালে সন্ধ্যাই। এনেতে খবৰ আহিল লটাৰী আৰম্ভ হ'ব। প্ৰথম বাৰৰ লটাৰীত প্ৰথমটি দল ঘোষণা হ'ল,

"নীলাচল মেনচ হোষ্টেল আৰু নিউ ৱমেনচ হোষ্টেল।"

লগে লগে আগফালে বাটত ৰৈ থকা নীলচলৰ ল'ৰা কেইটামানে NMH rocks চিঞৰিবলৈ লাগিল। যেন আহিব লগা যুদ্ধখনৰ শংখনাদ হে কৰিছে। এইবাৰ দ্বিতীয়টি দল,

"কাঞ্চনজংঘা মেনচ হোষ্টেল আৰু কপিলী ৱমেনচ হোষ্টেল"

কাঞ্চনজংঘাৰ প্ৰিফেক্ট দীপাংকৰ দা আৰু কপিলীৰ প্ৰিফেক্ট গায়ত্ৰী বাই হেণ্ডচেক দি ওলাই আহিল। আকৌ বাহিৰত চিঞৰ, KMH rules। সন্ধ্যাৰ যেন ধৈৰ্য হেৰাইছিল। কেতিয়া পৰিব সোৱণশিৰীৰ নাম।

এইবাৰ তৃতীয় দল,

"শৰাইঘাট মেনচ হোষ্টেল আৰু বৰদৈচিলা ৱমেনচ হোষ্টেল লগত ধনশিৰী ৱমেনচ হোষ্টেল।"

সন্ধ্যা আগবাঢ়ি গৈ শিখা বাক জোকাই থৈ আহিল। শিখা ধনশিৰীৰ আৰু সিদ্ধাৰ্থ শৰাইঘাটৰ। কোনে পাই আৰু এইবাৰ। লাজ লাজকৈ শিখা আঁতৰি গ'ল। এইবাৰ চতুৰ্থ দল,

"পাটকাই মেনচ হোষ্টেল আৰু সোৱণশিৰী ৱমেনচ হোষ্টেল।"

লগে লগেই তাত থকা যি সকলে অলপ আগত সন্ধ্যা আৰু অভিমন্যুৰ যুঁজখন চাইছিল সকলোৱে গিৰ্জনি মাৰি হাঁহি উঠিল। বিদিশাই সন্ধ্যাক খোঁচ এটা মাৰিলে। দেৱা দাই আগুৱাই আহি বিদিশাক হেণ্ডচেক এটা দি অভিমন্যু আৰু সন্ধ্যাক ক'লে,

"তহঁতৰ কাজিয়াবোৰ শেষ কৰ দেই। এই এক মাহ যাতে একো কাজিয়া নেদেখোঁ মই।"

অভিমন্যুয়ে লগে লগে টপকৈ মাতিলে,

"আপুনি কি বুজিব দেৱা দা? কিছুমানৰ লগত কাজিয়া কৰাতেই মজা আছে। এইবাৰ ভাৰ্চিটী উইক জমিব তেন্তে।"

Kaushik

লগে লগেই বিদিশা বা আৰু দেৱা দাই হাঁহি উঠিল জোৰকৈ।

"যাঃ এইডাল" বুলি আঁতৰি ওলাই গ'ল সন্ধ্যা।

পঞ্চমটি অৰ্থাৎ অন্তিম দলো ঘোষণা কৰা হ'ল,

"চৰাইদেউ মেনচ হোষ্টেল, পবিতৰা ৱমেনচ হোষ্টেল আৰু ট্ৰানজিত ৱমেনচ হোষ্টেল।"

দল ঘোষণাৰ লগে লগেই যেন চাৰিওফালে যুদ্ধৰ সিংহনাদ বাজি উঠিছিল। পিছদিনাই ৱেবচাইটত প্ৰকাশ পাইছিল ভাৰ্চিটী উইকৰ সম্পূৰ্ণ ৰুটিনৰ তালিকা। গোটেই কেম্পাছ যেন উখল মাখল। ৰাতি ৰাতি হোষ্টেলবোৰত অডিচন চলিছিল। বিহু নাচ, নাটকৰ সংলাপেৰে জীপাল হৈছিল প্ৰতিখন হোষ্টেলৰে কমন ৰুমবোৰ। সোৱণশিৰীৰ পৰা সন্ধ্যাই বিহু নচাটো প্ৰায় খাটাং হৈয়ে আছিল যদিও কোনোৱে যাতে প্ৰিফেক্টৰ ৰুমমেট কাৰণে পালে বুলি আঙুলি টোঁৱাব নোৱাৰে তাৰ বাবে তাই এবাৰ অডিচনো দিছিল। কিন্তু ঢোলৰ চেঁৱত বৰদৈচিলা জনীৰ দৰে নচা সন্ধ্যাৰ নাচ দেখি সকলোৱে এক মুখে কৈছিল এইবাৰ সোৱণশিৰীৰ ভাগ্য ফুলিল।

Kaushik

আনহাতে পাটকাইৰ পৰাও অভিমন্যুয়ে নাটক কৰাটো ফাইনেল হৈছিল। ছিনিয়ৰ মঞ্জিল দা হঁতে তেজপুৰৰে কোনোবা নাট্যকাৰ এজনৰ পৰা আনিছিল এখন সুন্দৰ একাংকিকা নাটক "এজাক ভালপোৱাৰ বৰষুণ"। নাটকখন প্ৰেম আৰু বিচ্ছেদৰ ওপৰত আধাৰিত। মূখ্য চৰিত্ৰত অভিনয় কৰাৰ বাবে অভিমন্যুকে বাছনি কৰা হৈছিল।

পাটকাই আৰু সোৱণশিৰীৰ এডমিন বডীয়ে মিলি ঠিক কৰিছিল যুদ্ধ নীতি। সেইমতেই সোৱণশিৰীত নাটকৰ প্ৰেকটিছ আৰু পাটকাইত বিহুৰ প্ৰেকটিছ হ'ব। দুয়োখনৰ বৃহৎ কমন ৰুম দুটা আছেই যিহেতু, গতিকে চিন্তা নাই। প্ৰথম দিনা পাইকাইলৈ সন্ধ্যা আহোঁতে পিছে অভিমন্যুও তাইৰ লগতে আছিল। দেৱা দাইয়ে কৈছিল তাক তাইৰ প্ৰথম দিনা লগতে থাকিবলৈ। পাটকাইৰ কমন ৰুমতে সোৱণশিৰীৰ বিহু নচা ছোৱালী কেইজনী বহিছিলহি। এজোৰ ডাঠ ৰঙা ৰঙৰ বোৱা চাদৰ মেখেলা পিন্ধি অহা সন্ধ্যা যেন সকলোৱে মাজত জিলিকি আছিল। পাটকাইৰ ল'ৰা যিয়ে চাইছিল সিয়ে যেন চকু ঘূৰাই আনিব পৰা নাছিল তাইৰ পৰা। ঢোল, পেঁপা, টকা আদি লৈ পাটকাইৰ বিহুৱা কেইজন বেদান্ত দা, শেখৰ দা, দীপ আদিবোৰ সিহঁতৰ লগত চিনাকি হৈছিল। বেদান্ত দাই অভিমন্যুক জোকাবলৈকে কৈছিল,

"তইও বিহুত হে থাকিব লাগিছিল। আমাৰ নাচনীৰ বেছি গা আহিল হেঁতেন।"

সন্ধ্যাই লাজতে তল মূৰ কৰিছিল। সেইদিনা বেদান্ত দাই সকলোকে প্ৰধান বিহুনামটো গাই শুনাইছিল যিটোত সিহঁতে নাচিব,

"বৰষা পথাৰত অ' ভনীটি ৰহেদৈ,

হালে বাই আছিলোঁ এহালি দমৰা লৈ,

চাহ দিব যাবা দেই অ' ভনীটি ৰহেদৈ,

লাৱনি ওঁঠতে মিচিকিয়া হাঁহি লৈ......"

শুনিলেই গা অহা বিহু। তাতে বেদান্ত দাৰ যাদুকৰী মাত। এবাৰ এপাক নচুৱাই চালে সন্ধ্যাহঁতক। সন্ধ্যাৰ বিহু নাচৰ ভংগীমা দেখি অভিমন্যুও আচৰিত হৈছিল। মুখৰ মিচিকিয়া হাঁহিটোৰেই সকলোকে মুহিব পৰা সন্ধ্যাৰ দেহৰ প্ৰতিটো ভাঁজেই যেন বহাগীক টানি আনিছিল। ৰঙা ৰঙৰ চাদৰ মেখেলা যোৰ, তাত ক'লা ক'লা ফুল। নাচৰ পাকত খুলি পৰা তাইৰ আগফালৰ চুলি কেইডালে ঢাকি পেলাই চকুযোৰ যেন আৰু মায়াসনা হৈ পৰিছিল। ঢোল, তাল আৰু বাঁহীৰ মাতত কঁপি উঠিছিল প্ৰকাণ্ড কমন ৰুমটো। প্ৰথম দিন বাবে অলপ প্ৰেকটিছ কৰিয়েই শেষ হৈছিল সেইদিনা।

একেদৰেই সোৱণশিৰীৰ কমন ৰুমত আৰম্ভ হৈছিল নাটকৰ আখৰা। অভিমন্যুৰ আৱেগ ভৰা সংলাপত সোৱণশিৰীৰ প্ৰতিজনী ছোৱালীয়ে যেন মম হৈ গলিছিল,

"তোমাৰ চকুত মই ভৱিষ্যতৰ কাৰেং সাজিছিলোঁ, কিন্তু কিন্তু তুমি যে মোকেই অতীত বনাই দিলা অ', অভিমানবোৰৰ শ্ৰাদ্ধ পাতি আজি আৰু তোমাৰ কাষলৈ যাব নোৱাৰিম মই।"

অভিমন্যুয়ে ইমান প্ৰাণ ঢালি সংলাপটো মাতিছিল যে সকলোৱে ৰ লাগি চাইছিল। যেন সি অভিনয় কৰা নাই, সঁচাকৈ কাৰোবাক কৈছে।

এনেদৰেই তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিখন হোষ্টেল সাজু হৈছিল ভাৰ্চিটী উইকলৈ। সন্ধিয়া হোৱাৰ লগে লগে হোষ্টেল বোৰৰ কমন ৰুমৰ পৰা ভাঁহি আহে ঢোলৰ গা ৰাই জাই কৰা চাপৰ, নাটকৰ গৰম সংলাপ। লগতে সন্ধিয়া সন্ধিয়া মাৰ্চ পাষ্টৰ প্ৰেকটিছৰ বাবে প্ৰতিখন হোষ্টেলৰ ফাৰ্ষ্ট ইয়েৰৰ বোৰক মাতি মাতি আনিছিল। গোটেই সন্ধিয়াটো

Kaushik

চৌহদৰ অলিয়ে গলিয়ে "এক দ' এক" "এক দ' এক" চিঞৰেৰে ভৰি পৰিছিল। বিহু আৰু নাটকৰ দৰেই মাৰ্চ পাষ্টটো আছিল প্ৰতিযোগিতা সমূহৰ ভিতৰত অন্যতম। যিসকল আৱাসীয়ে নাটক আৰু বিহুত ভাগ নলয়, তেওঁলোকৰ বাবে মাৰ্চ পাষ্ট কৰাটো বাধ্যতামূলকৰ দৰেই আছিল।

সেইদিনা পাটকাইৰ মাৰ্চ পাষ্টৰ বাবে ল'ৰা কম অহাক লৈ আগফালে কেইজন মান চিনিয়ৰে কথা পাতি আছিল। চোতালত ফাৰ্ষ্ট ইয়েৰৰ বোৰে শাৰী পাতি ৰৈ আছিল। তেনেকুৱাতে পিঠিত বেগটো আৰু কাণত ফেডফোন ডাল লগাই ভিতৰলৈ সোমাই গৈছিল ময়ূঁৰ। এজন চিনিয়ৰে তাক "ঐ, ৰহ" বুলি মাতিলে যদিও সি হেডফোন লগাই থোৱাৰ বাবে নুশুনাকৈ গুছি গৈছিল। ছিনিয়ৰক গুৰুত্ব দিয়া নাই বুলি সমুখৰ ৰুমটোতে ময়ূঁৰক আগভেটি ধৰিলে দুই তিনিজন ছিনিয়ৰে। এজনে তাৰ কাণৰ পৰা আজুৰি হেডফোন ডাল খুলি দলিয়াই দি ক'লে,

"কি অ'? মাতি আছোঁ শুনা নাই হা? ইমান এটিটিউদ নে তোৰ? ছিনিয়ৰক পাত্তাই নিদিয় যে?"

"নহয় মানে দাদা মই শুনা নাছিলোঁ।" তলমূৰ কৰি ক'লে ময়ূঁৰে।

"হ'ব বাৰু। ব'ল এতিয়া মাৰ্চ পাষ্ট কৰিবি। মন কৰি আছোঁ, তই এদিনো অহা নাই।" আন এজনে কথাখিনি কৈ ময়ূঁৰৰ বেগটো খুলি দিলে।

আগৰ দৰেই তলমূৰ হৈ ময়ূঁৰে ক'লে,

"মই কৰিব নোৱাৰিম দাদা।"

"কিয় নোৱাৰিবি বে? তইতো বিহু, নাটক একো কৰা নাই। কিয় নোৱাৰিবি?"

মুখেৰে একো নামাতি তলমূৰ কৰিয়ে দুখোজ পিছুৱাই আহিল ময়ূঁৰ। ছিনিয়ৰ এজনে আগুৱাই আহি তাৰ চাৰ্টৰ কলাৰ ধৰিলে,

"মুখেৰে নামাত যে? তই কি লাট চাহাবৰ পুতেক নেকি বে? বাপেৰৰ ঘৰ নেকি তোৰ এইখন? নিজৰ মতে চলিবি যে?"

খঙত কথাকেইটা জোৰকৈ কৈছিল ছিনিয়ৰজনে। ময়ূঁৰে এইবাৰ মূৰ উঠাই কিছু গহীনকৈ ক'লে,

"মা দেউতাক ধৰি কথা নক'ব দাদা।"

Kaushik

লগে লগেই যেন জুইত ঘিঁউ হে পৰিল। খঙত একো নাই হৈ ছিনিয়ৰ জনে "কাক কথা কৈছ" বুলি হাতটো মুঠি মাৰি এটা প্ৰচণ্ড ঘোঁচা টোঁৱাই মাৰিবলৈ আগবাঢ়িছিল ময়ূঁৰৰ মুখত। বাঘৰ সমুখত পৰা নিমাখিত হৰিণটোৰ দৰে ভয়ত ময়ূঁৰে চকু দুটা জোৰকৈ মুদি হাত দুখনেৰে মুখখন ঢকাৰ বৃথা চেষ্টা চলাইছিল। ছিনিয়ৰ জনৰ ঘোঁচাটো হয়তো ময়ূঁৰৰ মুখতেই পৰিল হেঁতেন। তেনেকুৱাতে ময়ূঁৰৰ পিছফালৰ পৰা ঘপকৈ আহি ছিনিয়ৰ জনৰ মুঠি মৰা হাতখন থাপ মাৰি ধৰিছিল অভিমন্যুয়ে। চকুত যেন তাৰ জুই হে বৰষিছিল। ঘোঁচাটো ৰখাই ছিনিয়ৰ জনৰ হাতটো পকাই ধৰি অভিমন্যুয়ে আনটো হাতেৰে ময়ূঁৰৰ বাহুত ধৰি তাৰ গাৰ কাষলৈ আনিছিল। ৰঙা চকুৰে দাঁত কৰছি খঙেৰে চাই থকা অভিমন্যুক দেখি বাকী ছিনিয়ৰ কেইজনো যেন দুখোজ পিছুৱাই গৈছিল।

(আগলৈ)

#নিৰিবিলি

Part 54

এজন জুনিয়ৰ হৈ ছিনিয়ৰৰ সমুখত এই খঙাল ৰূপ দেখুৱাবলৈ সাহস কৰাৰ বাবে ওচৰৰ আন আন ছিনিয়ৰ কেইজনো কাষ চাপি আহিছিল। ঠাইখিনিত জুম এটাৰ দৰে হৈছিল। সকলোৰে মাজত ময়ূঁৰক মাৰিবলৈ লোৱা ছিনিয়ৰ জনে ডাঙৰ ডাঙৰ মাতেৰে ক'বলৈ ধৰিলে,

"কি সাহ বে তোৰ? ছিনিয়ৰক এনেকে ধৰিবলে ক'ত সাহস পাইছ বে?"

অভিমন্যুয়েও সেই একেই সুৰতে চিঞৰি চিঞৰি কৈছিল,

"আৰু আপুনি ক'ত সাহস পালে এনেকৈ কাৰোবাৰ গাত হাত দিবলে?"

কাজিয়াখন হয়তো ডাঙৰেই হ'ল হেঁতেন। তেনেতে ভিতৰৰ পৰা অহা দেৱা দাই জুমটো দেখি আৰু অভিমন্যুৰ মাত শুনি আগবাঢ়ি আহিল,

"কি হ'ল অ'? কি হৈছে ইয়াত?"

"চা দেৱা, খুব মৰম কৰি ৰাখ নহয় ইয়াক। ছিনিয়ৰক কথা কোৱাৰ সুৰ চা।"

ছিনিয়ৰ ল'ৰাটোৱে দেৱাশীষক ক'লে যদিও সি জানে অভিমন্যু কোনো কাৰণ নাথাকিলে এনেই লাগি লোৱা মানুহ নহয়। সেইবাবে সি পোনপটীয়াকৈ তাক সুধিলে,

"কি হৈছে অভিমন্যু?"

অভিমন্যু গোটেই ঘটনাটো ভাঙি কোৱাৰ পাছতে ছিনিয়ৰ জনে আকৌ ক'লে,

"কি ভুল ক'লো মই? ভাৰ্চিটী উইকত গোটেই হোষ্টেলখনেই লাগে। গতিকে ই কিয় একো নকৰিব?"

অভিমন্যুয়ে এইবাৰ শান্ত সুৰেৰে বুজালে,

"চাওঁক দাদা, সকলোৱে সকলো বস্তু ভাল নাপায়। পাটকাইত মুঠ ৫০০ টা ল'ৰা আছে। তাৰ পাছতো যদি মাৰ্চ পাষ্টৰ কাৰণে ল'ৰা লাগে কওঁক, আমি বিহুত থকা কেইটাও আহি যাম। কিন্তু সেইবুলি এনেকৈ মাৰ পিট কৰি হোষ্টেলৰ মাজতে কাজিয়া কিয় কৰিছে? ইয়াৰ পাছত ময়ূঁৰৰ লগত কোনোবাই এইবোৰ কৰিলে মই কিন্তু নাটক চাটক একো নকৰোঁ।"

অভিমন্যুৰ কথাত দেৱা দায়ো সহমত জনাই ক'লে,

"ঠিক কথা। কাকো জোৰ জবৰদস্তি কৰি কাম কৰাব নালাগে। participate নকৰিলে সেইটো পাৰ্চনেল কথা। ইয়াৰ পিছত যাতে এইবোৰ নুশুনো মই। এতিয়া চব নিজৰ নিজৰ প্ৰেকটিছত যা।"

লগে লগেই চব আঁতৰি গ'ল। জুমটো ভাঙিল। এইয়াই এজন প্ৰিফেক্টৰ দায়িত্ব। ঘৰৰ মূল মানুহজনৰ দৰে গোটেই হোষ্টেলখনক এক কৰি ৰাখিব লাগে। যিটো কামত দেৱাশীষ সদায় সফল। তাৰ যত্নতে পাটকায়ে আজিৰ উৰাই আছে স্বাভিমানৰ ধ্বজা।

সকলো আঁতৰি যাওঁতেহে অভিমন্যুয়ে মন কৰিলে। দুই হাতেৰে কাণ দুখন ঢাকি চকু দুটা মুদি বেৰত মূৰটো হেঁচি আওজি আছে ময়ূঁৰে। তাক দেখি বেয়া লাগি গ'ল অভিমন্যুৰ। কোনোবাই জোৰেৰে কোৱা কথা এটাও শুনিব নোৱাৰে ময়ূঁৰে। তেনেস্থলত আজি তালৈ ঘোঁচা টোঁৱাওতে কি অৱস্থা হৈছে সিহে চাগে বুজিছে। অভিমন্যু সময়ত আহি নোপোৱা হ'লে যে কি হ'ল হেঁতেন। অভিমন্যু আগুৱাই গৈ ময়ূঁৰৰ বাহুত হাত থৈছিলহে, সি চকু মেলি চঁক খাই উঠিল।

"একো নাই ময়ূঁৰ। মই আছোঁ নহয়, কিয় ভয় কৰিছ। ৰুমলৈ যাওঁ ব'ল।"

Kaushik

অভিমন্যুয়ে লৈ গ'ল তাক ৰুমলৈ। ময়ূঁৰ যেন কঁপি আছিল অলপ অলপকৈ। ৰুমত সোমাই পানী খাবলৈ দিলে অভিমন্যুয়ে।

"মোক, মোক মাৰিব ধৰিছিল জান' অভি?"

কঁপা কঁপা মাতেৰে ময়ূঁৰে ক'লে। তাৰ হাতখন নিজৰ হাতত মুঠি মাৰি অভিমন্যুয়ে কৈছিল,

"একো নকৰে এতিয়া। মই কৈ দিলোঁ না। চব ঠিক হৈ গ'ল এতিয়া। ল পানীকণ খা।"

পানীখিনি খাই অলপ শান্ত হৈছিল ময়ূঁৰ। শান্ত মাতেৰে সি অভিমন্যুলৈ চাই ক'লে,

"তই ইয়াতে থাক না অলপ টাইম।"

মৰম লাগি গ'ল তালৈ অভিমন্যুৰ। অভিমন্যুৰ নিজৰ ককায়েক বা ভায়েক নাই। ঘৰত সিয়েই একমাত্ৰ ল'ৰা। ময়ূঁৰৰ মাজত সেইবাবেই সি সদায় এজন ভায়েকক বিচাৰি পায়। তাৰ মূৰত হাত ফুৰাই অভিমন্যুয়ে ক'লে,

"আছোঁ মই। তই শুই দে অলপ। ভাত খাবলে হ'লে মই জগাই দিম।"

ময়ূঁৰ বিচনাত পৰাত গাত কাপোৰ খন দি কাষৰ চকীখনতে বহিছিল অভিমন্যু। এবাৰ সন্ধ্যাই ফোন কৰিলে,

"ক'ত আছ? তহঁতৰ কমন ৰুমত বহি আছোঁ ব'ৰ হৈ। প্ৰেকটিছ ষ্টাৰ্ট হোৱাই নাই। আহ না।"

"অলপ ৰ সন্ধ্যা। মই ময়ূঁৰৰ লগত আছোঁ। যাম বাৰু।" বুলি ফোনটো কাটিলে সি। ময়ূঁৰক এই সময়ত অকলে এৰিব নোৱাৰে সি। কাৰো বাবেই নোৱাৰে।

অলপ সময় তাতে থকাৰ পাছত ময়ূঁৰ টোপনি যোৱাৰ উমান পাই অভিমন্যু ওলাই আহিল। ৰুমটোত লাইট অফ হৈ আন্ধাৰ হৈ আছিল। অভিমন্যুয়ে সামান্য ভাৱে দুৱাৰখন জপাই গৈছিল বাবে দুৱাৰৰ ফাঁকেৰে ক্ষীণ পোহৰ এটা ময়ূঁৰৰ বিচনা লৈকে পৰিছিল। বিচনাৰ কাষৰ খিৰিকীখন খোলা আছিল। ফিৰফিৰিয়া এজাক পাতল বতাহে ময়ূঁৰৰ কপালৰ দীঘল চুলিখিনিত যেন চুমাহে যাঁচিছিল। তেনেকুৱাতে কোনোবা আহি বহিছিল হি ময়ূঁৰৰ মূৰৰ শিতানত। এটা ছাঁয়া মূৰ্তি। ময়ূঁৰৰ মূৰটো আলফুলে তুলি লৈছিল কোলাত। টোপনিতে অস্পষ্ট মাতেৰে ময়ূঁৰে মাতিছিল,

Kaushik

"ৰাধা"

প্ৰেকটিছবোৰ আগবাঢ়িছিল লাহে লাহে। ইন্টাৰ হোষ্টেল খেলবোৰ হৈ আছিল। ল'ৰাৰ কাবাডী, ক্ৰিকেট ছোৱালীৰ খ'খ' আদি। অভিমন্যু আৰু অনুৰণেও ভাগ লৈছিল ক্ৰিকেটত। অনুৰণহঁতৰ ক্ৰিকেট চাবলৈ সন্ধ্যাহঁতো গৈছিল। পাটকাইক সমৰ্থন কৰি পাটকাইৰ ল'ৰাবোৰৰ লগতে সিহঁতেও চিঞৰিছিল,

"পাটকাই পাটকাই

আমাৰ আগত কোনো নাই"

অভিমন্যুহঁতে খেলাৰ বাবেহে যে সন্ধ্যাহঁতে পাটকাইৰ ফালে চিঞৰিছিল তেনে নহয়। যিখন হোষ্টেলৰ লগত পেয়াৰিং হয়, সেইখন হোষ্টেলক সকলো প্ৰতিযোগিতাতে সমৰ্থন কৰাটো যেন দায়িত্বৰ দৰে হৈ পৰে। সেইদৰেই সোৱণশিৰীৰ খ'খ' খেলাৰ দিনাও পাটকাইৰ ল'ৰাবোৰে চিঞৰিছিল,

"পেপচি কোলা ললিপপ,

সোৱণশিৰী অন দা টপ"

পিছে ফাইনেল পোৱাৰ পাছতো পাটকাই ক্ৰিকেটত হাৰিল। জিকিল কাঞ্চনজংঘা। অনুৰণ আৰু অভিমন্যুয়ে সঁচাই খুব ভাল খেলিছিল। কিন্তু কাঞ্চনজংঘাৰ সমুখত সেয়া পৰ্যাপ্ত নাছিল চাগে। গোটেই ফিল্ডখনেই "KMH rules" চিঞৰত কঁপি উঠিছিল। প্ৰতিখন হোষ্টেলৰ ভিতৰলৈকে গৈছিল সেই চিঞৰ।

ইফালে খ'খ' তো সোৱণশিৰী কপিলীৰ লগত হাৰিছিল। আকৌ ফিল্ড কঁপিছিল কপিলীৰ ছোৱালীবোৰৰ চিঞৰত,

"একে একে দুই,

আমাৰ কপিলী জুই"

সন্ধ্যাই খেলা নাছিল যদিও চাবলৈ গৈছিল। হৰাৰ পাছত মন মাৰি হোষ্টেললৈ ঘূৰি অহা ছোৱালীবোৰক "একো নাই, বিহু আৰু নাটকত আমি আনিমেই" বুলি সান্তনা দিছিল বিদিশা বাইঁতে। সঁচাই, নিজে অকলে কিবা হৰাতকৈও দলীয় ভাৱে হাৰিলে বেছি দুখ লাগে।

Kaushik

খুব কঠোৰ ভাৱে আগবাঢ়িছিল মাৰ্চ পাষ্টৰ প্ৰেকটিছো। বিদিশা বাই নিজে তদাৰক কৰিছিল মাৰ্চ পাষ্ট।

সন্ধ্যাতো আজিকালি হোষ্টেল খুব সময়েই হে থাকে। সন্ধিয়াৰ পৰা ৰাতি দেৰিলৈকে পাটকাইতে প্ৰেকটিছ হয়। খোৱা বোৱাও তাতে। সন্ধ্যা আৰু বিহু নাচৰ বাকী কেইজনী ছোৱালী থাবলৈ পাটকাইৰ ডাইনিং ৰুমত সোমালে ল'ৰাহঁতৰ অৱস্থা চাবলগীয়া হয়। সিদিনা একুৱাগাৰ্ডৰ পৰা পানী ভৰাই থকা ল'ৰাজনে সন্ধ্যাহঁতলৈ চাই থাকোঁতেই বটল ভৰ্তি হৈ পানী পৰি যোৱা গমেই পোৱা নাছিল। সন্ধ্যাৰ লগতে বিহু নাচিবলৈ যোৱা দেবলীনাই কৈয়ে দিলে,

"দাদা পানী পৰি আছে।"

ল'ৰাটোৱে যিটো থকমককৈ লাজতে প্ৰায় দৌৰা দৌৰিকৈ ওলাই গৈছিল, সিহঁতৰ গোটেই বিহুৰ দলটোৱেই গিৰ্জনি মাৰি হাঁহিছিল। ক'ব নোৱাৰাকৈয়ে এটা পৰিয়ালত বান্ধ খাইছিল সিহঁতবোৰ। এই কাৰণেই ভাৰ্চিটী উইকৰ আমেজ আন সকলো অনুষ্ঠানতকৈ বেলেগ। বান্ধোন বোৰ গঢ়াত এক বিশেষ ভূমিকা আছে ভাৰ্চিটী উইকৰ।

সকলো ভাল দৰেই আগবাঢ়ি আছে। তেনেতে হঠাৎ আহিল ধুমকেতুৰ দৰে খবৰটো। পৰীক্ষা অৰ্থাৎ ফাৰ্ষ্ট টাৰমিনেল আৰম্ভ হ'ব কেইদিন মানৰ পাছতে। যদিও একাডেমিক কেলেণ্ডাৰত উল্লেখ আছিল কোনোৱে মন কৰা নাছিল। সকলোৰে খং উঠিছিল। কিয়? মানে এনেকুৱা কিয় এই ইউনিভাৰ্চিটীখন? আন আন ইউনিভাৰ্চিটীত প্ৰায় এক মাহ মান ভাৰ্চিটী উইকৰ নামতেই যায়। ক্লাছো নহয়। অকল প্ৰেকটিছ। কিন্তু ইয়াততো সিহঁত বোৰে দৈনিক ক্লাছ কৰিয়ে আছে। তাৰ মাজত প্ৰেকটিছো কৰিছে। কিন্তু এইটো পৰিৱেশৰ মাজত পৰীক্ষা? কেনেকৈ পাতিব পাৰে? কোনো কোনোৱে ইয়াৰ চিষ্টেমবোৰক গালি পাৰিছিল। কোনোৱে আৰু কেতিয়াও একোতে ভাগ নলওঁ বুলি ঘোষণা কৰিছিল। কিন্তু অৱশেষত সকলোৱে পৰীক্ষাতো বহিছিল। কাৰণ উপায় নাই, TU এনেকুৱাই। হয়তো জীৱনৰ আনন্দ বিলাসৰ মাজতো যে জীৱনৰ প্ৰকৃত উদ্দেশ্য পাহৰি যাব নালাগে তাৰেই পাঠ পঢ়াইছিল তেজপুৰ ইউনিভাৰ্চিটীৰ এই ব্যৱস্থাই।

ধুমধামকৈ দি পৰীক্ষাটো শেষ কৰিলে সকলোৱে। পৰীক্ষাৰ কেইদিন কোনো কোনোৰ প্ৰেকটিছ বন্ধ হৈ থাকিল। কোনোৱে কিন্তু তাৰ মাজতো প্ৰেকটিছ নেৰিলে। সন্ধ্যাহঁতেও মাত্ৰ দুদিনহে বন্ধ কৰিছিল প্ৰেকটিছ। বাকী কেইদিন মাত্ৰ এঘন্টাৰ বাবে হ'লেও কৰি

Kaushik

আছিল। প্ৰেকটিছৰ পৰা আহি ভাগৰ পাহৰি পঢ়া টেবুলত বহিছিল। সঁচাই বিহু নাচ, নাটক আদিৰ প্ৰেকটিছৰ মাজতো পৰীক্ষাৰ বাবে পঢ়ি পৰীক্ষা দিয়াটো অকল তেজীয়ানৰ বাবেইহে সম্ভৱ কিজানি।

পৰীক্ষা শেষ হোৱাৰ দুদিন পাছতেই আছিল "দৰা কইনা" প্ৰতিযোগিতা। ক্লাছত জুৰিয়েই প্ৰথমে কথাটো উলিয়ালে,

"অভিমন্যু আৰু সন্ধ্যা ওলাই যা দৰা কইনা হৈ।"

শুনাৰ লগে লগেই চিঞৰ বাথৰ আৰম্ভ হৈ গৈছিল গোটেই ক্লাছত।

"বঢ়িয়া লাগিব ৰে, ওলা ওলা।"

"কি ধুনীয়া লাগিব তহঁত দুটাক ঐ।"

"জিকিবিও তহঁত দুটা।"

মুঠতে গোটেই ক্লাছটোৱে জুমুৰি দি ধৰিছিল সন্ধ্যাক। সীমাহঁত সকলোৱে কুটুৰিছিল তাইক,

"প্লিজ সন্ধ্যা। হৈ যা না।"

সিফালে বিশ্বজিৎ, আৰিফহঁতে অভিমন্যুক নেৰানেপেৰাকৈ লাগি আছিল,

"হৈ যা বে তহঁত দুটাক বহুত ধুনীয়া লাগিব। ছিৰিয়াছলি কৈছোঁ।"

শেষত অভিমন্যু সন্ধ্যাৰ কাষলৈ আহি সকলোৱে শুনাকৈয়ে সুধিলে,

"কি কঁৱ? হ'বি নি মোৰ কইনা?"

সন্ধ্যাই তলমূৰ কৰিছিল মিচিকিয়া হাঁহিৰে।

"য়াহু......"

"মজা মজা"

"এইবাৰ হে এইবাৰ দেই।"

Kaushik

গোটেই বোৰৰ চিঞৰত কঁপি গৈছিল ক্লাছৰুমটো। ক্লাছৰ পৰা ওলাই যাওঁতে জুৰিয়ে জোকাই জোকাই গৈছিল বাটত,

"ক্লাছে প্ৰতি চেকচন,

সদায় অহা ল'ৰাই আজি ধৰে দৰাৰ ভেশচন।"

ৰুমত গৈ কথাবোৰ ভাবি আছিল সন্ধ্যাই। অভিমন্যু কিয় মান্তি হ'ল বাৰু তাইৰ দৰা হ'বলৈ। নাটকৰ প্ৰেকটিছ আৰম্ভ হোৱাৰে পৰা তাৰ যিমান ছোৱালীৰ লগত চিনাকি হৈছে, তাৰ মাজৰ যিকোনো এজনীয়ে অভিমন্যুৰ লগত বিনা বাক্যে কইনা হৈ দিলে হেঁতেন। কিন্তু সি নো কিয় তাইক বাছি ল'লে? আৰু ক্লাছৰ বাকী বোৰেও নো কিয় তাইক আৰু তাকহে হ'বলৈ ক'লে? সঁচাকৈ সিহঁতৰ মাজত কিবা আছে নেকি বাৰু? যিমানেই ভাবে কিবা এটা লাজ লাজ ভাৱে আৱৰি ধৰে চোন সন্ধ্যাক। কেনেবাকৈ নজনাকৈয়ে তাইও জুৰিহঁতে কোৱাৰ দৰে অভিমন্যুৰ প্ৰেমত পৰা নাইতো? প্ৰেম জানো এনেকৈ হয়? হ'বও পাৰে। ইয়াৰতো কোনো আগজাননী নাথাকে যি আগজাননী দি আহে, সেয়া প্ৰেমেই নহয়।

কথাটো সোৱণশিৰীত ওলোৱাৰ লগে লগেই সন্ধ্যা যেন কাৰো আগত ওলাবই নোৱাৰা হ'ল। ৰীণা বাৰ পৰা ৰুবীহঁতলৈকে সকলোৱে জোকাবলৈ লাগিল তাইক। ৰুবীয়েতো এদিন কৈয়ে দিলে,

"নাটকৰ প্ৰেকটিছ চাবলৈ গৈ কিমান লাইন মাৰিলোঁ, এতিয়া পিছে আমাৰ ভিনদেউ হে হ'ব গৈ।"

"ধেৎ" বুলি আঁতৰি আহিছিল সন্ধ্যা।

শেষত সেই দিনটো আহিল। দৰা কইনা প্ৰতিযোগিতা। সন্ধিয়া ছয় বজাৰ পৰা কমিউনিটী হলত হ'ব প্ৰতিযোগিতা। দীপা বাই সন্ধ্যা আৰু অভিমন্যুৰ নাম দি আহিল। আবেলি প্ৰায় চাৰি বজাৰ পৰাই আৰম্ভ হৈছিল সন্ধ্যাক কইনা ৰূপত সজোৱাৰ কাম। জুৰি, সীমা, নিমিষা আৰু প্ৰিয়া আহি পাইছিলহি তাইৰ ৰুম। ৰীণা বাই এযোৰ বগা পাটৰ কাপোৰ আনি সন্ধ্যাৰ হাতত দি কৈছিল,

"এইযোৰ মোক সঞ্জীৱে দিয়া আছিল সন্ধ্যা। মাত্ৰ সেই এদিনেই অলপ সময়ৰ বাবে পিন্ধা।"

Kaushik

সন্ধ্যাই মৰমেৰে হাত পাতি লৈছিল কাপোৰ যোৰ। দীপা বাও আহি কইনাৰ সাজ পিন্ধাই দিছিল সন্ধ্যাক। জুৰিয়ে বান্ধি দিছিল সন্ধ্যাৰ খোপাটো। তাত ওলোমাই দিছিল ৰঙা জবা ফুল এপাহ। মুখখনত মেক আপ কৰি দিছিল সীমাই। ওঁঠত সানি দিছিল ৰঙা লিপষ্টিক। কঁপালৰ মাজতে বোলাই দিছিল এটা গোলকৈ সেন্দূৰৰ ফোট। এপদ এপদকৈ গহণাবোৰ পিন্ধাই দিছিল নিমিষাই। ডিঙিৰ গলপতা হাৰ, কাণৰ ফুলি, হাতত আঙুঠি, কঁপালত দীঘলকৈ কঁপালী। চকুযুৰিত ধুনীয়াকৈ আই লাইনাৰ লগাই সজাই দিছিল বিদিশাই। চাদৰ মেখেলাযোৰ পিন্ধাই লগতে এখনে পাটৰ ৰিহাও সজাই দিছিল দীপা বাই। গোটেইখিনি কৰি সম্পূৰ্ণ কৰোঁতে প্ৰায় এক ঘণ্টাতকৈও অধিক সময় লাগিছিল। পাটৰ বগা চাদৰ মেখেলা সোণালী ৰঙৰে গুণা কৰা, মাজত সৰু সৰু ৰঙা ফুল। দীঘলকৈ খোপাটোত উৰণি লগতে ৰঙা জবা পাহ। সকলোৰে সৈতে অপৰূপ লাগিছিল সন্ধ্যাক। যেন সঁচাকৈ জীয়ৰী জীৱন এৰিবলৈ ওলোৱা কইনাজনীহে।

একেদৰেই আয়োজন চলিছিল পাটকাইতো। দেৱা দাই পিন্ধাই দিছিল অভিমন্যুক ধুতীখন। অনুৰণে ক'ৰবাৰ পৰা আনি গোটাই দিছিল পাটৰ কুৰ্তা এটা। লগতে গাত মেৰাই দিছিল চেলেংখন। ময়ূঁৰে নিজেই চিলাই উলিয়াইছিল নাৰ্জী ফুলৰ মালা এডাল। সকলো পিন্ধি হোৱাৰ পাছত অভিমন্যুৰ মূৰত পিন্ধাই দিছিল সি। ৰাজদ্বীপ আৰিফ হঁতে জোকাই জোকাই অৱস্থা নোহোৱা কৰিছিল। মূৰত ফুলৰ মালা, গাতৰ পাটৰ চোলা, চেলেং আৰু ধূতীৰে অভিমন্যুকো সাইলাখ দৰা যেনেই লাগিছিল।

সিহঁত গোটেই কেইটা গৈ কমিউনিটী হলৰ সমুখতেই ৰৈছিল গৈ। ইতিমধ্যে মানুহে প্ৰায় নধৰা হৈছিল হলটো। আজি প্ৰথমটো সাংস্কৃতিক প্ৰতিযোগিতা বাবেই সকলোৰে উৎসাহো অধিক। সন্ধ্যাহঁতৰ ডিপাৰ্টমেন্টৰ বেছি ভাগেই আহিছিল সন্ধ্যা আৰু অভিমন্যুক চাবলৈকে। কমিউনিটী হলৰ মাইকত অহৰহ বাজি থকা বিয়া নামে গোটেই পৰিৱেশটোকেই যেন বিয়াঘৰলৈ পৰিণত কৰিছিল,

"সাগৰৰ মাজতে চালনীৰে বগৰী,

আছে পাৰিজাতে চালনীৰে বগৰী,

সেইফুল পিন্ধিব পাৰি হে চালনীৰে বগৰী

সীতা তোমাৰ ৰামচন্দ্ৰ জীৱনৰে লগৰী।"

Kaushik

যিমানেই বিয়ানাম বোৰ শুনিছে সন্ধ্যাৰ যেন বুকুখন কঁপিহে উঠিছে। গাভৰু বুকুত বিয়ানামৰ সুৰে কি অজান ঢৌ তুলিব পাৰে সেয়া অকল এজনী ছোৱালীয়ে হে বুজিব পাৰে। হোষ্টেলৰ পৰা গোটেই বাটটো জুৰিহঁতেও সন্ধ্যাক জোকাই আহিছে,

"ৰূপৰ তামোল কটাৰী,

আজিৰ পৰা আমাৰ সন্ধ্যা গোলাঘাটৰ বোৱাৰী।"

ভিৰৰ মাজতেই গ্ৰীণ ৰুমলৈ সোমাই গৈছিল অভিমন্যু আৰু সন্ধ্যা। সকলো আগবঢ়াত অনুৰণে এবাৰ তাইৰ কাষলৈ আহি সৰু মাতেৰে কৈছিল,

"ধুনীয়া লাগিছে কইনা সাজত।"

লাজতে একো নকৈ ভিতৰলৈ গৈছিল সন্ধ্যা। গ্ৰীণ ৰুমত তাইক দেখি চিঞৰি উঠিছিল চন্দ্ৰালী বাই,

"কেনেকুৱা মৰম লাগিছে তোমাক সন্ধ্যা। অল দা বেষ্ট দেই।"

কমিউনিটী হলত আজি তাইৰ দ্বিতীয়টো প্ৰগ্ৰেম। প্ৰথমটো সেই ফ্ৰেচাৰ্ছত যে গান গাইছিল। অলপ অলপ ভয়ো লাগিছে তাইৰ। গাত কইনাৰ সাজ, কাষত দৰাৰ ৰূপত তাইৰ অভিমন্যু আৰু মাইকত সেই বিয়া নামবোৰ। কি অনুভৱ হৈছে তাই হে গম পাইছে। অভিমন্যু সিহঁতৰ হোষ্টেলৰ চিনাকি কোনোবা এজনক পাই তাৰ লগতে লেকচাৰ মৰাত ব্যস্ত। অকলে থকা সন্ধ্যাৰ ওচৰ পালেহি অলপ আঁতৰত থকা শিখা বা। ওচৰ পাইয়ে তাইক ক'লে,

"শিৰত সেন্দূঁৰ নল'লা যে?"

তেতিয়াহে মনত পৰিল সন্ধ্যাৰ। হয়তো, তাইৰ শিৰত সেন্দূঁৰ লোৱাই নহ'ল। সীমাই কঁপালত ফোটটো ঠিকেই দিলে। কিন্তু শিৰত দিবলৈ চাগে পাহৰিলে। কি কৰা যায়? বিচাৰকে দেখিলেতো পূৰা নম্বৰ কাটিবই। শিখা বাই ক'ৰবাৰ পৰা সেন্দূঁৰৰ টেমা এটা গোটাই দি থৈ আঁতৰি গ'ল। তাইৰ নিজৰ হোষ্টেলৰ ছোৱালীও ওলাইছে। কিন্তু টেমাৰ পৰা সেন্দূঁৰ খিনি লয় কেনেকৈ। সন্ধ্যাই টেমাটো খুলি চাইছিল। কিন্তু ল'বলৈ গ'লে তাইৰ গোটেই হাত ৰাঙলী হোৱাৰ লগতে কাপোৰ যোৰতো পৰাৰ আশংকা আছে। তাতে কাপোৰ যোৰ ৰীণা বাৰ। সন্ধ্যাই ইয়াত এচিকুট হ'লেও সেন্দূঁৰৰ দাগ লগাই ৰীণা বাক আৰু কষ্ট দিব নোখোজে। এবাৰ আন এজনী কইনা সাজত থকা ছোৱালীক কৈ চালে। তাই নোৱাৰিম বুলি বাহানা মাৰি আঁতৰি গ'ল। সন্ধ্যাই ইফালে সিফালে

Kaushik

শিখা নহ'লে চন্দ্ৰালীক বিচাৰিলে কিন্তু নাপালে। ইফালে মঞ্চত প্ৰথম দলটো উঠিলেই। সন্ধ্যাহঁতৰ দুই নম্বৰতে আছে। বিচাৰকৰ আসনত বহি প্ৰশ্ন সুধি আছিল জুপিতৰা মেমে। লগত আৰু কোনোবা এজন ছাৰ। এবাৰ সন্ধ্যাই কওঁ নকওঁকৈ অভিমন্যুকো কৈ চালে। সিও কুৰ্তাত সেন্দূৰ লগাৰ ভয়ত নকৰিলে। কি কৰোঁ নকৰোঁকৈ সন্ধ্যা হাতত সেন্দূঁৰৰ টেমাটো লৈ কমিউনিটী হলৰ পিছফাল পালেগৈ। আন্ধাৰ হৈ আছিল ঠাই ডোখৰ। ষ্টেপ কেইটাৰ তলতে ৰ'ল তাই। এনেতে বিপৰীত ফালৰ পৰা খোজ কাঢ়ি আহি আছিল অনুৰণ। তাইৰ ওচৰ পাই ক'লে,

"ইয়াৰ পাছতে তোমালোকৰ। গুড লাক, ভালকৈ দিবা।"

সন্ধ্যাই চাই ৰৈছিল তালৈ। লগতে সিও। ঠাইখিনি প্ৰায় আন্ধাৰ আছিল যদিও হলৰ ভিতৰৰ পৰা অহা পাতল পোহৰত জিলিকি উঠিছিল সিহঁতৰ মুখ।

মঞ্চৰ প্ৰথম দলটোক এটাৰ পাছত এটাকৈ প্ৰশ্ন সুধি আছিল বিচাৰকে। দৰা কইনাই নিজৰ চিনাকি আৰু তেওঁলোকৰ বিয়াৰ কাহিনী শুনোৱাৰ পাছতে বিচাৰকে প্ৰশ্ন কৰে। প্ৰশ্ন সোধা হৈছিল,

"বিয়াত দৰা কইনাক নোঁৱাওতে বহোৱা ঠাইখিনিক কি বোলা হয়?"

উত্তৰটো দিব পৰা নাছিল সিহঁতে। বিচাৰকে নিজেই বুজাই দিছিল যে "বেইৰ তল" বোলা হয়। সেইবাবে বিয়া নামতো আছে যে "বেইৰ তলত বহি আইদেউ কৰিছে ধেমালি"।

ষ্টেজৰ কাষতে ৰৈ থকা অভিমন্যুৰ প্ৰশ্ন শুনি চকু কঁপালত উঠিছিল। এনেকুৱা প্ৰশ্নৰ উত্তৰ পাৰিব জানো সি? নোৱাৰে। অৱশ্যে সন্ধ্যাৰ ওপৰত বিশ্বাস আছে। তাই পাৰিবই। সন্ধ্যাৰ কথা ভাবোতেহে মনত পৰিল, ক'ত গ'ল এই? অলপ আগত সেন্দূঁৰৰ টেমা এটা লৈ আহিছিল সেন্দূৰ কণ দি দিব লাগে বুলি। সি নিদিয়াৰ বাবে খঙেই উঠা নাইতো? কি সাহসত দিয়ে নো সি? দি লৈ গোটেই হাতটো ৰঙা হৈ থাকিব। কেনেবাকৈ কাপোৰত লাগিলে হ'ল আৰু। দেৱা দাই ফালিব তাক। ষ্টেজত প্ৰথম দলটোৰ শেষ হ'বই এতিয়া। সন্ধ্যাক গোটেই গ্ৰীণৰুমত বিচাৰি নাপাই হলটোৰ পিছফাল পালেগৈ অভিমন্যু। তাতেই অনুৰণৰ লগত ৰৈ আছিল তাই। সি মাত লগালে,

"ঐ, আমাৰ হ'ব এতিয়া। ব'ল।"

Kaushik

সন্ধ্যা ঘূৰোঁতেহে সি দেখিলে তাইৰ শিৰত সেন্দূঁৰ।

"ভাল কৰিলি। ল'লি যে সেন্দূঁৰ। ব'ল এতিয়া।" অনুৰণলৈ চাই সি ক'লে,

"অনুৰণ যাওঁ, ভিডিঅ' কৰিবা হা।"

ইতিমধ্যে প্ৰথম দলটো নামিছিল। মাইকত ঘোষণা কৰিছিল অভিমন্যু আৰু সন্ধ্যাৰ নাম। অস্পষ্ট মাতেৰে সন্ধ্যাই অনুৰণক ক'লে,

"যাঁও ৰণ।" তাই চাওঁ বুলিও যেন মূৰ তুলি চাব পৰা নাছিল তাক।

"যোৱা।" অনুৰণেও কৈছিল সৰুকৈ।

অভিমন্যুয়ে প্ৰায় থৰকৈ সন্ধ্যাৰ হাতত ধৰি টানি আনিছিল হলৰ ভিতৰৰ ফালে। অনুৰণ ৰৈ আছিল বাহিৰতে। সন্ধ্যাই ঘূৰি চাওঁ বুলি ভাবিও কিয় জানো চাব নোৱাৰিলে। কাৰণ তাই জানে তাই আঁৰ নোহোৱালৈকে অনুৰণো তাতেই ৰৈ থাকিব। অভিমন্যুয়ে সন্ধ্যাৰ শিৰৰ সেন্দূঁৰখিনি ঠিকেই দেখিছিল, কিন্তু থৰ খেদাৰ বাবেই হব'লা মন কৰা নাছিল অনুৰণৰ সোঁহাতৰ বুঢ়া আৰু তৰ্জনী আঙুলিত লাগি থকা সেন্দূঁৰৰ ৰঙা দাগটো। সন্ধ্যাইঁত আগফাল পাইছিল গৈ। মঞ্চত উঠোঁ উঠোঁ হৈছে। অনুৰণ ৰৈয়ে আছে নে বাৰু? নাই, সন্ধ্যাই এবাৰো ঘূৰি চাব নোৱাৰিলে। মাইকত বাজি আছিল পুৰণি অঞ্জনাৰ জনপ্ৰিয় বিহু "আলহী হৈ আহিম এদিন"ৰ বিশেষ শাৰীটো,

"মোৰ সোণ সেইদিনা,

লাগিব কেনেবা,

চাওঁ বুলি চাবলে মই নোৱাৰিম তোমাক...."

(আগলৈ)

#নিৰিবিলি

Part 55

"এইয়া মঞ্চত দ্বিতীয় দল অভিমন্যু শৰ্মা আৰু সন্ধ্যা ৰাগিণী বৰুৱা।"

Kaushik

লগে লগে চিঞৰত গোটেই কমিউনিটী হলটো যেন চঞ্চল হৈ উঠিছিল। সন্ধ্যাহঁতে জানিছিল এই চিঞৰ বেছি ভাগে পাটকাই আৰু সোৱণশিৰীৰ আৱাসীৰ। লগতে EFL ডিপাৰ্টমেন্টৰো বহুত আছে চাগে। সমুখত গোটেই হল ভৰ্তি মানুহ দেখি সন্ধ্যা যেন অলপ কঁপি উঠিছিল। হয়তো অভিমন্যুয়েও বুজি পাইছিল, সেয়ে তাইৰ হাতখনত ধৰি লৈছিল সি। আৰম্ভ কৰিছিল সিয়েই,

"নমস্কাৰ। মই অভিমন্যু শৰ্মা, গোলাঘাটৰ। এইয়া মোৰ নৱ বিবাহিতা পত্নী....।"

চিঞৰ আৰু উকিৰ কোবত পিছৰ খিনি কি কৈছিল একোৱে শুনা নাছিল কোনেও। চিঞৰৰ শব্দৰ অত্যাচাৰত বিচাৰকেও পিছলৈ ঘূৰি চাবলৈ বাধ্য হৈছিল। অৱশ্যে নিচিঞৰিবই বা কিয়? EFL ডিপাৰ্টমেন্টৰ সকলোৰে পচন্দৰ ভাবী প্ৰেমিক যুগল মঞ্চত উঠিছে। তাকো দৰা কইনাৰ সাজত। অভিমন্যুৰ পাছত সন্ধ্যাইও এমোকোৰা হাঁহিৰে নিজৰ চিনাকি দিছিল,

"নমস্কাৰ। মই সন্ধ্যা ৰাগিণী বৰুৱা আৰু মই বিশ্বনাথ চাৰিআলিৰ জীয়ৰী।"

লগে লগেই পাছফালৰ পৰা কোনোবাই চিঞৰিলে,

"মাত নহয় মুৰুলী" তাৰ লগে লগেই আকৌ বেলেগ এটাৰ চিঞৰ,

"হাঁহি নহয় বিজুলী"

বহুত কষ্ট কৰি নহঁহাকৈ আছিল অভিমন্যুয়ে। এই যে চিঞৰবোৰ। সি নিজেও কমখন জোকাই নে? আজি নিজৰ লগত হওঁতেহে গম পাইছে জ্বালাটো।

ইয়াৰ লগে লগেই অভিমন্যুয়ে আৰম্ভ কৰিছিল তাৰ আৰু সন্ধ্যাৰ বিয়াৰ আঁৰৰ কাল্পনিক কাহিনী। কাহিনীটো ময়ূঁৰে বনাইছিল। অভিমন্যু আৰু সন্ধ্যাক সিয়েই শিকাই পঠিয়াইছে কিদৰে ক'ব লাগে। অভিমন্যু নাটক কৰা ল'ৰা। তাৰ ইমান অসুবিধা নাই, পিছে এই সন্ধ্যাক লৈ হে চিন্তা। তাতে সিহঁতে লৈছে প্ৰেম কাহিনী। এইজনীয়ে মাজতে ফেচেকৈ হাঁহি নিদিলেই হ'ল আৰু। পিছে নাই, তাইও ভালকৈয়ে কৈছে। সিহঁতে প্ৰথমে ইউনিভাৰ্চিটীত লগ পোৱা, তাৰ পাছত চিনাকি আৰু তাৰ পাছত প্ৰেম। পাছত ঘৰৰ সন্মতিত বিয়া। তেনেকুৱাই আছিল কাহিনীটো। মাজতে খালী ঘৰৰ পৰা অলপ সমস্যা অহা বুলি দেখুওৱা মানে কোৱা হৈছিল। প্ৰায় দহ মিনিটত কাহিনীটো শেষ হ'ল। তাৰ লগে লগে আৰম্ভ হ'ল প্ৰশ্নোত্তৰ শিতান। এইটোহে আচলতে গুৰুত্বপূৰ্ণ। বাকী কাহিনী

Kaushik

আৰু চিনাকি সকলোৰে প্ৰায় একেই হয়। গতিকে প্ৰতিযোগিতাত বিজয়ী দল এই প্ৰশ্নোত্তৰৰ পৰা হে বাছনি কৰা হয়। প্ৰথমেই জুপিতৰা মেমে সন্ধ্যাক সুধিলে,

"কইনা উলিয়াই দিয়াৰ সময়ত গোৱা এফাঁকি বিয়া নাম গাই শুনোৱা চোন।"

সন্ধ্যাই খুব কৰুণ সুৰেৰে গাইছিল,

"মৰমৰ দেউতা ৰাখাচোন মোক,

কেনেকৈ ৰাখো মই মাজনী তোক।

নাৰাখা নালাগে তোমাৰে ঘৰত,

খাওঁতে শোওঁতে পৰিব মনত।"

চকু দুটি চলচলীয়া হৈ পৰিছিল তাইৰ। চকুৰ আগত ভাঁহি আহিছিল দেউতাকৰ মুখখন। সৰুৰে পৰাই ঘৰৰ সকলোৰে মৰমৰ যদিও দেউতাকৰ আলাসৰ লাৰু সন্ধ্যা। অৱশ্যে সন্ধ্যা বুলিয়ে নহয়, প্ৰত্যেকজনী ছোৱালীৰে প্ৰথম ভালপোৱা সদায় দেউতাক। আৰু ছোৱালীজনী বিয়া দি উলিয়াই দিয়াৰ মূহুৰ্তত ধৈৰ্যশীল দেউতাকৰ বুকুখনো যেন কঁপি উঠে। সন্ধ্যাৰ মন পৰশা মাতত বিয়া নামটো যেন আৰু কৰুণ হৈ পৰিছিল। মেমে এইবাৰ দৰালৈ মানে অভিমন্যুলৈ প্ৰশ্ন এৰিছিল,

"অসমীয়া বিয়াৰ কেইটা মান অনুষ্ঠানৰ নাম কোৱা।"

সন্ধ্যাই অভিমন্যুলৈ চাইছিল, এই গৰুটোৱে বা জানে নে নাই। নাকটো নকটালেই হ'ল আৰু চবৰে আগত। কিন্তু নাই, সি লগে লগে উত্তৰ দিছিল,

"জোৰোণ দিয়া, পানী তোলা, সখি আদৰা, নোওৱা আদি।"

লগে লগেই দৰ্শকৰ পৰা এটা চিঞৰ,

"খুব এক্সপেৰিয়েন্স আছে দেই।"

সন্ধ্যাই মুখ টিপি হাঁহিছিল। চিঞৰটো ৰাজদ্বীপে মাৰিছে। মাততে গম পাইছে সিহঁতে। এইবাৰ সিজন বিচাৰকে সুধিছিল প্ৰশ্ন। তেওঁৰ প্ৰশ্নবোৰ অলপ বেলেগ আছিল। প্ৰথমেই সুধিলে,

"তোমালোকৰ মতে বিবাহ কি?"

Kaushik

উত্তৰটো সন্ধ্যায়েই দিলে,

"দুখন ঘৰ দুটি পৰিয়াল দুখন সমাজৰ সৈতে দুখন হৃদয়ৰ পৱিত্ৰ বান্ধোন।"

বিচাৰকে পুনৰ সুধিলে,

"পৰিয়াল অবিহনে বিবাহ হ'ব নোৱাৰে নেকি?"

সন্ধ্যাই কৈছিল,

"এখন বিবাহ পৰিয়ালৰ আৰ্শীবাদ অবিহনে সম্পূৰ্ণ হয় বুলি মই নাভাবোঁ।"

সন্ধ্যাৰ উত্তৰ বোৰত যেন কাঁহ পৰিহে জীণ গৈছিল হলটো। অভিমন্যুয়েও চাই ৰৈছিল তাইলৈ। বিচাৰকে আকৌ সুধিলে,

"প্ৰেম আৰু বিবাহৰ মাজত পাৰ্থক্য কি?"

সন্ধ্যাই শান্ত মাতেৰে ক'লে,

"প্ৰেমৰ পৰিণতি বিবাহ নহ'বও পাৰে, কিন্তু বিবাহ কেতিয়াও প্ৰেমৰ অবিহনে হ'ব নোৱাৰে। প্ৰেম মানে মুক্তি আৰু বিবাহ এক বান্ধোন।"

হাত চাপৰিৰে ৰজনজনাই গৈছিল কমিউনিটী হল। সন্ধ্যাৰ উত্তৰে মোহিত কৰিছিল বিচাৰককো। শেষ বাৰৰ বাবে তেওঁ সুধিলে,

"তুমি কোনটোক গুৰুত্ব দিয়া প্ৰেমক নে বিবাহক?"

সন্ধ্যাই মিচিকিয়া হাঁহিৰে কৈছিল,

"গুৰুত্ব দুইটাৰে আছে। প্ৰেম হ'লে ৰাধাকৃষ্ণৰ দৰে হ'ব লাগে যাতে আঁতৰিলেও গোটেই পৃথিৱীয়ে একেলগে নাম লয় আৰু বিবাহ হ'লে মহাদেৱ আৰু গৌৰীৰ দৰে হ'ব লাগে যাতে প্ৰতিটো জনমতে ইজনে সিজনৰ বাবে ৰয়।"

এইবাৰ গোটেই দৰ্শকৰ লগতে বিচাৰকেও হাত তালি মাৰিছিল সন্ধ্যাৰ বিচক্ষণতাত। অভিমন্যুয়ে গৌৰৱৰ দৃষ্টিৰে চাইছিল তাইলৈ। "ঠিক আছে তোমালোক যাব পাৰা" বুলি কোৱাত সোমাই গৈছিল সিহঁত গ্ৰীণ ৰুমলৈ। গ্ৰীণ ৰুমত গৈয়ে অভিমন্যুয়ে প্ৰায় চিঞৰাৰ দৰে কৈছিল সন্ধ্যাক,

"তই জুই দেখোন বে। কেনেকুৱা আনচাৰ দিছ।"

Kaushik

"তই আজিহে গম পালি নি মই জুই বুলি? ভালকে থাকিবি, জ্বলি যাবি নহ'লে।"

চকুত দুষ্ট হাঁহি এটা লৈ সন্ধ্যাই ক'লে।

"জ্বলিবইতো বিচাৰি আছোঁ ইমান দিনে, জ্বলাই চা না প্লিজ।" সন্ধ্যাৰ কাষলৈ আহি তাইৰ কাণৰ ওচৰলৈ মুখখন নি ফুচফুচাই কৈছিল অভিমন্যুয়ে। সন্ধ্যা পিছুৱাই গৈ লাগি গৈছিল গ্ৰীণৰুমৰ বেৰখনত। অভিমন্যুৰ দুয়োটা হাত তাইৰ দুয়োফালে দি যেন বন্দী কৰি পেলাইছিল তাইক।

"এহেম এহেম, কি চলিছে এইবোৰ অ'পেন জাগাতে।"

হঠাৎ ৰুমটোলৈ বিদিশা বা আৰু জুৰি সোমাই আহিল। অভিমন্যু একেচাতে আঁতৰি আহিছিল সন্ধ্যাৰ কাষৰ পৰা। সন্ধ্যা যেন খোপাৰ জবা পাহৰ দৰে ৰঙা পৰিছিল লাজতে।

"কি হৈছে অভিমন্যু? কি কৰি আছিলি হা?"

জুৰিয়ে তাক পেটটোতে চিকুট এটা মাৰি সুধিলে।

"ধেৎ, এনেই এইক জোকাই আছিলোঁ অ'।" সি ক'লে। তাৰ চাঁৰনিতো লাজ আছিল নে বাৰু? সন্ধ্যাৰ আঁৰ চকুৰে চাইছিল।

"বাই দা ৰে, সন্ধ্যা তই আজি মুঠতে কঁপাই দিছ। জাজৰ মুখ বন্ধ হৈ গ'ল ৰে তোৰ জবাব শুনি। মজ্জা লাগিল।"

বিদিশা বাই সন্ধ্যাক সাৱটি ধৰি ক'লে। অলপ সময় সিহঁত কেইটা তাতেই ৰ'ল। প্ৰায় আঠ মানেই বাজিল প্ৰতিযোগিতা শেষ হয় মানে। শেষ হোৱাৰ পাছত গোটেই কেইটা দলকে আকৌ মাতিছিল ষ্টেজলৈ। সন্ধ্যাহঁতো গ'ল। বিচাৰকে ৰিজাল্ট ঘোষণা কৰিলে। বহুতে অনুমান কৰা মতেই প্ৰথম স্থান পাইছিল অভিমন্যু আৰু সন্ধ্যাই। লগে লগেই গোটেই হলতে আকৌ চিঞৰ আৰু হুলস্থুল। যেন সকলোৱে এইটো ৰিজাল্টেই বিচাৰি আছিল। নামি যোৱাৰ লগে লগে প্ৰিয়াহঁতে দৌৰি আহি সাৱটি ধৰিছিল সন্ধ্যাক। অনুৰণেতো প্ৰায় দাঙিয়েই লৈছিল অভিমন্যুক। হাঁহি আৰু তৃপ্তিৰে হোষ্টেললৈ উভতিছিল সিহঁত। অনুৰণে মাজতে এবাৰ সন্ধ্যাক কৈছিল, "Congrats"

তাৰ মুখলৈ নোচোৱাকৈয়ে তাই কৈছিল, "thanks"।

Kaushik

ৰুমত আহি পাওঁতেই প্ৰায় গোটেই হোষ্টেলৰ ছোৱালীয়ে তাইক শুভেচ্ছা দিছিলহি। সকলো যোৱাৰ পাছতে এবাৰ বিদিশা বাই তাইক সুধিলে,

"ঐ, সেন্দূৰ দিবলৈ পাহৰি গৈছিলোঁ নহয়। পিছত কোনে দিলে?"

সন্ধ্যাই একো নকৈ নিশ্চুপ হৈ থকা দেখি তাই আকৌ ক'লে,

"কেনেবাকৈ অভিমন্যুয়ে দিয়া নাইতো? চাবি দেই সেন্দূৰ দিয়া মানে কিন্তু বিয়া হোৱাই বুজায়।"

বিদিশাৰ কথাত যেন কঁপি উঠিছিল সন্ধ্যা। মুখৰ মাত হেৰাইছিল তাইৰ। মনত পৰিছিল কমিউনিটী হলৰ পিছফালৰ ঘটনাটো।

সেন্দূঁৰকণ দিবলৈ কাকো নোপোৱাত অকলেই ষ্টেপতে বহি আছিল তাই। হলৰ পিছফালৰ বাটটো গৈ পাটকাইৰ আগফালে ওলাইছে গৈ। সেইফালেৰেই আহি আছিল অনুৰণ। তাইৰ কাষ পাই শুভেচ্ছা দিছিল। আৰু হাতত সেন্দূঁৰৰ টেমাটো দেখি সুধিছিল,

"এইটো লৈ আছা যে?"

"সেন্দূঁৰেই ল'ব পাহৰিলো মই শিৰত।" মাতটো যেন থোকা থুকিকৈ ওলাইছিল তাইৰ।

"অভিমন্যুক নক'লা কিয়? অকণমানকে লগাই দিলেই হ'ল জাজৰ চকুত পৰাকে।" অনুৰণৰ কথাত তাই ক'লে অভিমন্যুয়ে নলগোৱাৰ কথা।

"চাওঁ মোক দিয়া" বুলি টেমাটো হাতলৈ লৈ খুলিছিল অনুৰণে। খুব সহজ ভাৱেই তাৰ পৰা অকণমান সেন্দূঁৰ সোঁ হাতেৰে লৈ কঁপালী ডাল আঁতৰাই দি দিছিল সন্ধ্যাৰ শিৰত। হয়তো ক্ষন্তেকৰ বাবেও ভবা নাছিল অজানিতে কি কৰি পেলালে সি। হয়তো সন্ধ্যাৰ সমস্যাটো আঁতৰ কৰাটো প্ৰধান লক্ষ্য আছিল তাৰ। সন্ধ্যাই চকু মুদি দিছিল। সেন্দূঁৰৰ সৈতে অনুৰণৰ হাতৰ পৰশত যেন জিকাৰ খাই উঠিছিল তাই। তাৰ পাছতেই কিয় জানো অনুৰণলৈ চাব পৰা নাছিল তাই। কঁপি আছিল বহু সময়লৈ। কাষত দৰা সাজত অভিমন্যু। সকলোৰে জোকাই, তাইও ভাবে অভিমন্যুতেই আছে তাইৰ মন। তথাপি কিয় হৃদয়ত বাজে আন এটি সুৰ, অনুৰণ অনুৰণ।

Kaushik

"ঐ, কি হ'ল তই ছিৰিয়াছ হৈ গ'লি যে? ধেমালি কৰিছোঁ অ' এইজনী। সেন্দূঁৰকণ দিলেই বিয়া হৈ যায় নেকি? এই চিনেমাবোৰত দেখা নাই, সেন্দূঁৰ দিয়েই থাকে দেখোন।"

সন্ধ্যাই বহু সময় একো নোকোৱা দেখি বিদিশাই বুজালে। তাইও তেতিয়াহে ভাবিলে, নাই তাই আচলতে বেছিকৈ ভাবিছে। ইমান একো নাই। তাইৰ সেই সময়ত লগত কোনো নাছিল বাবে অনুৰণেই দি দিলে আৰু সেন্দূঁৰ কণ। তাতেই ইমান ভাবিব লগা কি আছে? অনুৰণ তাইৰ প্ৰিয় বন্ধু। সি প্ৰিয় হৈয়ে থাকক, এনেদৰেই। সি তাইক সহায় কৰিলে, আৰু তাই এইবোৰ ভাবি আছে বুলি সি গম পালে কি হ'ব বাৰু? ধেৎ নাপায়। ভাববোৰ জোকাৰি পেলালে তাই মনৰ পৰা।

প্ৰথমটো প্ৰতিযোগিতা জিকাৰ পাছতে সন্ধ্যাৰ ওপৰত আহি পৰিছিল হোষ্টেলৰ আন আন প্ৰতিযোগিতাৰো দায়িত্ব। যেনে ইণ্ডিয়ান কোৰাছ, বিয়া নাম, দিহা নাম আদি। সেই কেইদিন আজৰি পোৱা নাছিল তাই। ক্লাছ কৰি আহি আবেলি কোৰাছৰ প্ৰেক্টিছ। তাৰ পাছতেই ৰাতিলৈকে পাটকাইত বিহুৰ প্ৰেকটিছ আৰু ৰাতি তিনি মান বজালৈকে সোৱণশিৰীত দিহা নামৰ প্ৰেকটিছ। ব্যস্ততাৰ বাবে ঘৰলৈ ফোন কৰিবলৈও সময় নোহোৱা হৈছিল তাইৰ। তাৰ মাজতেই সোৱণশিৰীৰ ভিতৰে বাহিৰে তাই শুনিবলৈ পাইছিল নাটকত অভিমন্যুৰ দুৰ্দান্ত অভিনয়। বহুকেইজনী ছোৱালীয়ে হেনো তাক চাবলৈকে প্ৰেকটিছত গৈ বহি থাকে। এদিন দীপা বাই জোকাইছেই সন্ধ্যাক,

"সময় থাকোঁতেই কৈ দে দেই, পাছত কিন্তু বেলেগৰ হৈ গ'লে কান্দিব লাগিব।"

উত্তৰত মাত্ৰ হাঁহিছিল সন্ধ্যাই। কিন্তু সকলোৱে জোকাওঁতে জোকাওঁতে তাইৰ মনৰ ক'ৰবাত যেন অভিমন্যুৰ প্ৰতি গঢ় লৈছিল এটি নতুন অনুভূতিয়ে। হয়তো তাৰো।

এইবোৰৰ মাজতেই আহি পাইছিল নাটকৰ দিনটো। সেইদিনা ক্লাছলৈ অভিমন্যু অহা নাছিল। গোটেই দিনটো সন্ধ্যাও প্ৰতীক্ষাত আছিল তাৰ অভিনয় চোৱাৰ। তাইৰ বিহু প্ৰেকটিছ পাটকাইত হয় বাবে এদিনো তাৰ অভিনয় চাইয়ে নাপালে। এতিয়া চিধা ষ্টেজতেই চাব আৰু। পাঁচ বজাৰ পৰা প্ৰতিযোগিতা আৰম্ভ। গোটেই কে বি আৰ অডিটৰিয়ামত ভৰি দিবলৈ ঠাই নাছিল। যেন প্ৰতিখন হোষ্টেলৰ প্ৰতিজন আৱাসী উঠি

kaushik

আহিছিল। নাটক ভাল নাপালেও নিজৰ নিজৰ হোষ্টেলক সমৰ্থন কৰিবলৈকে আহিছিল বেছি ভাগ। সন্ধ্যাহঁতেও হোষ্টেলৰ গোটেই কেইজনী একেলগে বহিছিলগৈ। বিচাৰক আহি পোৱাৰ পাছতে আৰম্ভ হ'ল নাটক। এখনৰ মুঠ সময় ত্ৰিছ মিনিট। প্ৰথমতেই চৰাইদেউ, পবিতৰা আৰু ট্ৰানজিতৰ নাটক। "C for CMH" ধ্বনিৰে একো নুশুনা কৰি তুলিছিল চৰাইদেউৰ আৱাসীয়ে।

চৰাইদেউৰ পাছতেই ঘোষণা হৈছিল পাটকাই আৰু সোৱণশিৰীৰ দ্বাৰা পৰিৱশন হ'ব লগা নাট "এজাক ভালপোৱাৰ বৰষুণ"।

ওচৰত থকা ছোৱালী থিনিয়ে সন্ধ্যাক জোকাইছিল। তাইৰ বুকুখন যেন ধপধপাইছিল। আৰম্ভ হৈছিল নাটক। উচ্চ নীচ শ্ৰেণীৰ পাকচক্ৰত পৰি কিদৰে এজন যুৱকে নিজৰ প্ৰেয়সীক হেৰুৱাই আৰু শেষত নিজৰ সৰ্বচ্চ ত্যাগ কৰাৰ পাছতো প্ৰেয়সীৰ লগত বিচ্ছেদ হয় তাৰেই এটা কৰুণ কাহিনীৰে ৰচিত আছিল নাটখন। মূখ্য চৰিত্ৰত অভিমন্যুৰ এটা এটা সংলাপে যেন দৰ্শকৰ বুকু ভেদিছিল। সন্ধ্যা আৱেগিক হৈ উঠিছিল বাৰে বাৰে। নাটকৰ শেষৰ দৃশ্যত অভিমন্যুয়ে সহ অভিনেত্ৰী গৰাকী বুকুৰ মাজত আঁকোৱালি লৈ সংলাপ কয়,

"তুমি সিপাৰৰ নৈৰ গৰাৰ পলসুৱা কেঁচামাটিৰ সুবাস আৰু মই এইটো পাৰৰ এজুপি কৃষ্ণচূড়া। খোপনি পুতিবলৈ ইচ্ছা গ'লেও নোৱাৰো যে তোমাৰ বুকুৰ পলসুৱাত গৈ এখন্তেক জিৰাবলৈ। শিপালো ইয়াতে। মাথোঁ দূৰৰ পৰাই মোৰ ঠাল ঠেঙুলিবোৰে জিৰাফৰ দৰে ডিঙি মেলি তোমাক আহ্বান জনাব। তুমি জানো আহিবা নিজা ভেটি এৰি?হয়তো তুমিও নোৱাৰা। এনেকৈয়ে আমাৰ জীৱন! নিলগে নিলগেই। এদিন এজাক বৰষুণ আহিব। আৰু আমি তিতিম। একেলগেই তিতিম। বৰষুণৰ মোৰ এটি পাহি সৰি নৈত উটি তোমাতে মিলিবগৈ। আমাৰ ভালপোৱাৰ সাক্ষী হৈ ৰ'ব সেই সেউজীয়া বৰষুণজাক।"

লগে লগেই এটা কৰুণ বাঁহীৰ সুৰেৰে নাটকৰ যৱনিকা। অভিমন্যুয়ে বুকুত জোৰেৰে সাৱটি ধৰি থাকে ছোৱালীজনীক আৰু তাৰ লগে লগেই আঁৰ কাপোৰ পৰে। কিয় জানো চাই থাকিব নোৱাৰিলে সন্ধ্যাই। আঁৰ কাপোৰ পৰি শেষ নহওঁতেই উঠি গুছি গ'ল তাই। প্ৰিয়াহঁতে "কি হ'ল ঐ" বুলি মাতিলে যদিও তাই নৰ'ল। একে চাবে উঠি গৈ অডিটৰিয়ামৰ আগফালৰ ষ্টেপকেইটাতে ৰ'ল। মুখখন ঢাকি ধৰিলে তাই। নাই, তাই পৰা নাই অভিমন্যুক অইন কাৰোবাৰ লগত এইদৰে চাব। কিয় পৰা নাই তাই?

Kaushik

কিমান সময় তাত বহি আছিল তাইও নাজানে। অডিটৰিয়ামৰ ভিতৰত আৰম্ভ হৈছিল তৃতীয়খন নাটক, নীলাচল আৰু নিউ ব্ৰমেনচৰ।

গ্ৰীণ ৰুমৰ পৰা আহি প্ৰথমেই প্ৰিয়াহঁতৰ মাজত সন্ধ্যাক বিচাৰিলে অভিমন্যুয়ে। কিন্তু তাই নাই। শেষত সিও আগফালে ওলাই অহাত ষ্টেপত তাইক বহি থকা দেখি মাত লগালে,

"ঐ, কি হ'ল? গুচি আহিলি যে? এবাৰ নক'লিও মোৰ এক্টিং কেনেকুৱা পালি"

"ভাল কৰিছ।" সন্ধ্যাৰ চমু উত্তৰ। অভিমন্যু তাইৰ কাষতেই বহিল এইবাৰ। তাৰ মুখৰ পৰা মেক আপ যোৱাই নাই। এটা হাতেৰে তাইৰ বাহুত ধৰি সি ক'লে,

"কি হ'ল অ' মোৰ পাগলীজনীৰ? ক না।"

সন্ধ্যাই আজোৰ মাৰি তাৰ হাতটো বাহুৰ পৰা আঁতৰাই ক'লে,

"ইমান সময় সাৱটি ধৰি থাকিলেহে হয় নে কিবা সেইজনীক?"

অভিমন্যুয়ে যি সন্দেহ কৰিছিল সেইটোৱে হ'ল। সি হাঁহি হাঁহি ক'লে,

"কথা সেইটোহে মানে। হাৰে সেয়া এক্টিং আছিল বাবা, ডিৰেক্টৰে যেনেকৈ কৈছে মইও তেনেকৈয়ে কৰিছোঁ। আৰু সেই ছোৱালী জনী আমাতকৈ ডাঙৰ বহুত। মই বা বুলি মাতোঁ। আৰু এক্টিং কৰা মানেই সঁচা নহয়তো।"

"শপত?" সন্ধ্যাই তালৈ চাই ক'লে।

"শ---প----ত অ' বেঙী।" কাণ দুখন হাতেৰে ধৰি তাইৰ সমুখত আঁঠু কাঢ়ি অভিমন্যুয়ে কোৱা ভাঁজ আৰু সুৰটো দেখি সন্ধ্যাই হাঁহি উঠিল খিলখিলাই। অভিমন্যুয়ে এইবাৰ তাইক দুইটা হাতেৰে কাষলৈ চপাই আনি ক'লে,

"এতিয়া যাবি নে ভিতৰলৈ? নে তোকো তেনেকৈ সাৱটি ধৰি থাকিম ইয়াতে?"

"ছিহ্, যা এইডাল। অসভ্য" বুলি তাক ঠেলা এটা মাৰি তাই ভিতৰ পালেগৈ। অভিমন্যুও অডিটৰিয়ামৰ কাষেৰে গ্ৰীণ ৰুমত সোমালগৈ নিজৰ নাটকৰ মানুহখিনিৰ ওচৰত।

Kaushik

প্ৰায় তিনি ঘণ্টা মানৰ পাছত নাটক শেষ হ'ল। শেষ হোৱাৰ পাছতো বহুতো ৰৈ আছিল ৰিজাল্টৰ বাবে। সন্ধ্যাহঁতো। অভিমন্যুহঁত তেতিয়াও গ্ৰীণৰুমতেই। কিছু সময়ৰ পাছত ষ্টেজত উঠি ৰিজাল্ট ঘোষণা কৰিলে বিচাৰকে,

"তৃতীয় স্থানত নীলাচল আৰু নিউ ৱমেনচ হোষ্টেল।"

লগে লগেই নীলাচলৰ আৱসীয়ে NMH rocks বুলি কঁপাই দিছিল কে বি আৰ। নীলাচলৰ আৱসীৰ উচ্ছ্বাস এনেও বাকী কেইখনতকৈ বেছি।

দ্বিতীয় স্থানত পাটকাই আৰু সোৱণশিৰী"

সন্ধ্যাহঁতে চিঞৰ মাৰি উঠিছিল লগে লগে। আৰম্ভ হৈ গৈছিল পাইকাই আৰু সোৱণশিৰীৰ বিখ্যাত শ্লোগান কেইটা। নাটকৰ দলটোও গ্ৰীণ ৰুমৰ পৰা ওলাই আহিছিল। কিন্তু সন্ধ্যাই মন কৰিলে তাৰ মাজত অভিমন্যু নাই। আছে চাগে ক'ৰবাত। আহিব বুলি মন নকৰিলে তাই। বিচাৰকে ঘোষণা কৰিছিল প্ৰথম স্থান দখল কৰা দল,

"কাঞ্চনজংঘা আৰু কপিলী।"

এইবাৰ যেন আকৌ দুগুণ চিঞৰ। KMH rules আৰু আমাৰ কপিলী জুইয়ে অডিটৰিয়ামৰ পৰিৱেশ উত্তাৱল কৰিছিল। এইবাৰ আকৌ বিচাৰকে ঘোষণা কৰিলে শ্ৰেষ্ঠ অভিনেত্ৰীৰ নাম। পবিতৰাৰ ৰঞ্জনা বায়ে পাইছে। পবিতৰাৰ ছোৱালীবোৰৰো চিঞৰ কাণত পৰিছিল সকলোৰে। এইবাৰ শ্ৰেষ্ঠ অভিনেতা। সন্ধ্যাই চকু মুদি প্ৰাৰ্থনা কৰিছিল অভিমন্যুয়েই যেন হয়। তাই জানে সি নাটক কিমান বেছি ভাল পায়। হয়তো সন্ধ্যাৰ প্ৰাৰ্থনাত সঁচাই শক্তি আছিল। বিচাৰকে ঘোষণা কৰিলে,

"শ্ৰেষ্ঠ অভিনেতা পাটকাইৰ অভিমন্যু শৰ্মা।"

সন্ধ্যাই চিঞৰ মাৰি যেন প্ৰিয়াৰ গাতে উঠিব লৈছিল। দীপা বাই সন্ধ্যাকে congrats কৈছিল। পিছফালে বহি থকা ময়ূঁৰ আৰু অনুৰণহঁতো চিঞৰি চিঞৰি আগফাল পালেহি। কিন্তু অভিমন্যু? সি ক'ত। সন্ধ্যাই ওলাই আহি গোটেই অডিটৰিয়ামৰ চাৰিওফালে চাইছিল। কিন্তু সি নাই।

Kaushik

কে বি আৰৰ পিছফাল খন প্ৰায় অন্ধকাৰ। দুই তিনিটা গ্ৰীণ ৰুম পাৰ হৈয়ে বাহিৰৰ ফালে অলপ জংঘল। অডিটৰিয়ামত সোমোৱা গেট দুখন। এখন সমুখৰ পৰা। আনখন গাৰ্লচ হোষ্টেল কপিলী আৰু পবিতৰাৰ সমুখেৰে। সেইখনেৰে সোমালে চিধা গ্ৰীণ ৰুমো ওলাবগৈ পাৰি আৰু পাছফালে সেই এন্ধাৰ বননি খিনিলৈও যাব পাৰি। বননিৰ মাজতে ফোনত কথা পতাত ব্যস্ত আছে অভিমন্যু। ঠাইখিনি এন্ধাৰ বাবে কোনেও নুঘূৰালৈকে তাৰ মুখখন দেখা নাপায়। ভিতৰত ৰিজাল্টৰ ঘোষণাত চিঞৰ বাখৰ। কিন্তু সি ফোনত ব্যস্ত। কঁপা কঁপা মাতেৰে অনৰ্গল কৈ গৈছে সি,

"কি আৰু কি বিচৰা তুমি মোৰ পৰা কোৱা। তুমি বিচৰা মতেই তোমাক ভাল পালোঁ। পাগলৰ দৰে ভাল পালোঁ। আৰু এদিন তুমি ক'লা যে তুমি আঁতৰি যাব খোজা। মই একো নোকোৱাকৈ মানিও ল'লো। কাৰণ মই জানো প্ৰেম জোৰকৈ কৰা বস্তু নহয়। এতিয়া সকলো শেষ হোৱাৰ পাছতো কিয় তুমি মোক আগবাঢ়িব নিদিয়া? বাৰে বাৰে ফোন কৰি মোক দুৰ্বল কিয় কৰা? কি লাগে তোমাক কোৱা? অলপ শান্তি দিয়া অ' মোক। বহুত চেষ্টা কৰিছিলো তোমাক মৰমত ৰাখিবলৈ। কিন্তু তোমাৰ কেৱল তৰ্ক আৰু কাজিয়া। এতিয়া চব শেষ হোৱাৰ পাছতো কি বিচৰা তুমি মোৰ পৰা? মই নোৱাৰিম অ' এনেকে। শেষ হৈ যাম মই।"

শেষৰ ফাললৈ মাতটোত কান্দোন মিহলি হৈ গৈছিল অভিমন্যুৰ। সিফালৰ গৰাকীয়ে হয়তো ফোনটো কাটিছিল। ফোনটো থৈ বৈ অহা চকুপানী খিনি এন্ধাৰতে মচি আহিবলৈ লৈছিল অভিমন্যুয়ে। চবেই চাগে বিচাৰি আছে তাক। পাটকাই পাটকাই চিঞৰৰ পৰাই সি গম পাইছে সিহঁত জিকিছে বুলি। আন্ধাৰৰ পৰা মুখখন ঘূৰায়েই হতচকিত হৈ ৰৈ গৈছিল অভিমন্যু। যেন স্তব্ধ হৈ গৈছে সময়, স্তব্ধ হৈ গৈছে হৃদয়। কাৰণ সি আহিবলৈ ঘূৰাৰ লগে লগেই দেখিলে চকুত অশ্ৰু তথা প্ৰচণ্ড অভিমান আৰু ঘৃণা লৈ তাৰ সমুখত থিয় হৈ আছে সন্ধ্যা।

(আগলৈ)

#নিৰিবিলি

Part 56

আইনা যিমানেই ধুনীয়া নহওঁক, ভাঙিলে তাৰ টুকুৰাই হাত কাটিবই। সম্পৰ্কও যিমানেই মধুৰ নহওঁক কিয়, এটা মিছা কথাই যথেষ্ট সকলো থান বান কৰি দিবলৈ।

Kaushik

সন্ধ্যা আৰু অভিমন্যুৰ ক্ষেত্ৰটো যেন একেই হৈছিল। অভিমন্যুয়ে ফোনত কোৱা এটা এটা শব্দই বেজীৰ দৰে বিন্ধিছিল সন্ধ্যাক। অভিমন্যুৰ কোনোবা প্ৰেমিকা আছে? এটা সম্পৰ্কত সোমাই আছে সি? তাৰ পাছতো সন্ধ্যাৰ লগত ইমান ঘনিষ্ঠতা কিয়? ঠিক আছে, এবাৰৰ বাবে বাৰু তাই মানিয়েই ল'লে সেয়া বন্ধুত্ব বুলি। কিন্তু সকলোৱে জোকাওঁতেও সি মনে মনে কিয় আছিল? কিয় কোৱা নাছিল যে তাৰ জীৱনত ইতিমধ্যে কোনোবা আছে। কিয়? নে সিও আন বহুতৰ দৰেই সস্তীয়া প্ৰেমত বিশ্বাসী?

এটাৰ পাছত এটাকৈ প্ৰশ্নবোৰে ঘেৰি ধৰিছিল সন্ধ্যাক। জঠৰ হৈ ৰৈ গৈছিল তাই। সমুখৰ অভিমন্যুও। যেন এক অসহ্য জড়তা। এটা বেয়া সপোন দেখি সপোনতে হাত ভৰি লৰচৰ কৰিব নোৱাৰাৰ দৰে যে অৱস্থা হয়, ঠিক তেনেকুৱা অৱস্থায়ে যেন হৈছিল তাৰ। তথাপি এবাৰত এখোজ আগুৱাই গৈছিল,

"স....ন্ধ্যা...."। আধাফুটাকৈ ওলাইছিল মাতটো।

লগে লগে হাতটো দাঙি ৰখাই দিছিল সন্ধ্যাই। দুখোজ পিছুৱাই গৈছিল তাই। ৰঙা হৈ থকা তাইৰ চকুযুৰিত আজি আকলুৱা অভিমান নাই। আছে, প্ৰচণ্ড ঘৃণা। অভিমন্যুয়ে ভয় কৰে এইযোৰ চকুলৈ। সি আকৌ এবাৰ এখোজ আগুৱাই গৈ কঁপা কঁপা মাতেৰে কৈছিল,

"এবাৰ মোৰ কথাখিনি শুন।"

তাৰো চকুযুৰিৰ পৰা বৈ আহিছিল তপত অশ্ৰু, কাৰোবাক হেৰুৱাৰ ভয়ত।

"শুনিলোঁ। চব শুনিলোঁ।"

আগৰ দৰেই হাতখন সমুখলৈ আনি সন্ধ্যাই ক'লে। লগে লগেই পিছলৈ ঘূৰি দৌৰিছিল তাই। সমুখৰ গেট খন পাৰ হৈ সোৱণশিৰীৰ ফালে দৌৰিছিল। গোটেই পৃথিৱীখন যেন আজি এটা প্ৰকাণ্ড দৈত্য হৈ খেদি আহিছে সন্ধ্যাক। সোৱণশিৰীৰ চেনেহী কোলাত অলপ জিৰণি লাগে তাইক।

"সন্ধ্যা......" গাৰ জোৰেৰে চিঞৰি উঠিছিল অভিমন্যুয়ে। তেতিয়ালৈ তাই বহুদূৰ পাইছিল গৈ। আগবাঢ়ি আহিব লৈছিল সি তাইৰ পিছে পিছে। তেনেতে হঠাৎ কে বি আৰত থকা পাটকাইৰ গোটেই ল'ৰাবোৰে সেই খিনি পাইছিলহি। কোনোবাই দাঙি লৈছিল অভিমন্যুক। চিঞৰি আছিল সকলোৱে। পাটকাই - সোৱণশিৰীৰ জয়গানৰ ধ্বনিৰে কেম্পাছ কঁপি থকাৰ অৱস্থাতো অভিমন্যু মাত্ৰ শিল হৈ গৈ আছিল। আজি

Kaushik

তাৰ এই আটাইতকৈ সুখৰ সময়খিনিও যেন কাৰোবাৰ গ্ৰহণ লাগিছিল। হোষ্টেলত সকলোৰে উৎপাত। কি সোৱণশিৰী কি পাটকাই। কোনোবাই ঢোল লৈ নাচিছে। কোনোবাই চিঞৰিছে। দুয়োখন হোষ্টেলৰ ভিতৰত মাত্ৰ দুজনেই হয়তো নিথৰ হৈ ৰৈছিল। অভিমন্যুয়ে ভিৰৰ মাজতো শূণ্য হৈ গৈছিল আৰু সন্ধ্যাৰ শিতানৰ গাৰু চকুপানীৰে তিয়াইছিল।

আঘাত সদায় তাৰ পৰাই আহে, য'ত বিশ্বাস অটল ভাৱে থাকে। অভিমন্যুৰ এই আঘাতত যেন ধৰাশায়ী হৈ ৰৈছিল সন্ধ্যা। শিতানৰ গাৰুটো সাক্ষী হৈছিল চকুৰে বৈ অহা আৱেগবোৰৰ। অপ্ৰত্যাশিত যন্ত্ৰণাৰ বিষ সকলোতকৈ তীব্ৰতম। সন্ধ্যা যেন ভাঙি পৰিছিল। এনেতে বিদিশা পালেহি।

"সন্ধ্যা, পাৰ্টি কেতিয়া দিবি ক।"

বিদিশা বা ৰুমলৈ আহি অফ হৈ থকা লাইটটো জ্বলাই দি ক'লে। পোহৰ হোৱাৰ লগে লগে সন্ধ্যাক দেখি আচৰিত হৈ গ'ল বিদিশা। বিচনাত বাগৰি গাৰুটোত মূৰটো গুজি কান্দি আছিল তাই।

"ঐ, কি হৈছে? সন্ধ্যা, কি হ'ল তোৰ কচোন?"

বিদিশাই তাইক জোৰ কৰি টানি উঠালে। সন্ধ্যাই তাইক সাৱটি ধৰি কেৱল কান্দি আছে। চকুপানীৰে বিদিশাৰ বাহুটো তিতি গৈছিল। সন্ধ্যাই একো নক'লেও বিদিশাই বুজি পাইছিল। সাংঘাতিক দুখ নাপালে সন্ধ্যাই কেতিয়াও এনেকৈ নাকান্দে। তাই মৰমেৰে জোৰকৈ সাৱটি ধৰিছিল সন্ধ্যাক। যিমান পাৰে কান্দিবলৈ দিছিল। কান্দক। কান্দোনবোৰে বুকুৰ শিলটো বহুখিনি পাতলাই। সন্ধ্যাও শান্ত হৈছিল বহুখিনি। এসময়ত বিদিশাই তাইক বেচিনলৈ নি মুখখন ধোৱাই দিলে। তাৰ পাছত ৰুমত মুখখন মচি দি পানী খোৱাই মূৰত হাত ফুৰাই মৰমেৰে সুধিলে,

"কচোন। কি হ'ল?"

সন্ধ্যাই কৈ গৈছিল কথাখিনি। বিদিশাও আচৰিত হৈছিল। অভিমন্যুৰ দৰে ল'ৰা এটাও এনেকুৱা হ'ব পাৰে বুলি তাইও ভবা নাছিল। কি বুলি সান্তনা দিব তাই সন্ধ্যাক। সকলোৱে জোকাই জোকাই বেচেৰীৰ বুকুখনত তাৰ প্ৰতি যে অনুভৱবোৰ জগাই দিছিল। আৰু তাৰেই প্ৰতি ফল এইয়া। তথাপি "ধৈৰ্য ধৰ" বুলি তাইক কৈ ভাতখিনি

Kaushik

আনি দিছিল ৰুমলৈকে। সন্ধ্যাই নাখাওঁ বুলি কোৱাত বিদিশাই নিজ হাতেৰে খোৱাই দিছিল তাইক। সঁচাই, মৰম শাসন আৰু সাহসৰ যেন এক জীৱন্ত মূৰ্তি ৰুমমেট। ভাতকেইটা খাই হোৱাৰ পাছতেই কংকনাই মাতিবলৈ আহিছিল সন্ধ্যাক। আজি নাটকৰ বাবে সন্ধিয়া বিহুৰ প্ৰেকটিছ নহ'ল। গতিকে এতিয়া হ'ব ৰাতি এটা বা দুটা মানলৈ। বিদিশাই ভাবিছিল সন্ধ্যা হয়তো নাযাব। কাৰণ তাই নাযাওঁ বুলি ক'লেও জোৰ কৰাৰ সাহস কাৰো নাই। তিনিজনী প্ৰিফেক্ট ৰীণা, দীপা আৰু বিদিশাৰ মৰমৰ সন্ধ্যা সোৱণশিৰী সাম্ৰাজ্যৰ যেন ৰাজকুঁৱৰীহে। গতিকে তাইৰ ইচ্ছাৰ বিৰুদ্ধে কোনোবাই বাধ্য কৰোৱাৰ কথাই নাহে। কিন্তু বিদিশাক আচৰিত কৰি সন্ধ্যা যাবলৈ ওলাল।

"তই সঁচাই যাবি?"

বিদিশাৰ প্ৰশ্নত হাঁহিৰে উত্তৰ দিছিল সন্ধ্যাই,

"সোৱণশিৰীক বিহুত জিকামেই বা। কোনোবা যি টি ল'ৰাৰ কাৰণে মই প্ৰেকটিছ ক্ষতি নকৰোঁ।"

বিদিশাৰ ভাল লাগিল। কংকনাহঁতৰ লগত পাটকাইলৈ ওলাই গ'ল সন্ধ্যা।

Kaushik

বিজয়ৰ উল্লাসৰ মাজতো অভিমন্যুয়ে তাৰ মনৰ আন্ধাৰ খিনি খুব সুন্দৰ অভিনয়েৰে লুকুৱাবলৈ সক্ষম হৈছিল। সকলো নিজৰ নিজৰ কামত ব্যস্ত হোৱাৰ পাছতে ময়ূঁৰৰ ৰুম পালেগৈ সি।

"কি হৈছে তোৰ?"

ৰুমত সোমাওঁতেই তাক দেখি ময়ূঁৰে সুধিলে।

"তই কেনেকৈ জানিলি?"

প্ৰশ্নটো কৰিলেও তাৰ উত্তৰ অভিমন্যুয়ে নিজেই জানে। ময়ূঁৰতকৈ তাক আৰু কোনে বুজি পায়? সেইবাবেই সি সকলোবোৰ খুলি ক'লে তাক।

"তই সন্ধ্যাক ভাল পাঁৱ নেকি?"

সকলো শুনাৰ পাছত ময়ূঁৰৰ প্ৰশ্নটো যেন অপ্ৰত্যাশিত আছিল। অভিমন্যুয়ে ক'লে,

"সেইবোৰ নাজানো। কিন্তু সন্ধ্যাৰ ভুল বুজাবুজি খিনি ঠিক কৰিব নোৱাৰা লৈকে অশান্তি পাই থাকিম মই। কি কৰোঁ অ'?"

ময়ূঁৰৰ শান্ত উত্তৰ,

"তাইক এতিয়া একো নক'বি। এতিয়া তোৰ clarification য়ে তাইৰ খং বঢ়াবহে। গতিকে অলপ সময় দে।"

ময়ূঁৰৰ কথাটো যেন মানি ল'ব নোৱাৰিলে অভিমন্যুয়ে,

"নাই, বেছি সময় থাকিলে খংবোৰ থূপ খাই গৈ থাকিব। তাই এতিয়া বিহুৰ প্ৰেকটিছলৈ আহিব নহয়। মই এতিয়াই চব ক'ম তাইক।"

"লাভ নহ'ব অভি। নোৱাৰিবি এতিয়া।" ময়ূঁৰে একেদৰেই ক'লে।

"জানো তাইৰ খং উঠি আছে। কিন্তু তাইক কেনেকৈ মনাব লাগে মই জানো ভালকৈয়ে।" কথাখিনি কৈয়ে ওলাই গ'ল অভিমন্যু। সি ওলাই যোৱাৰ ফালে চাই স্বগতোক্তি কৰিলে ময়ূঁৰে,

"তই সন্ধ্যাক এতিয়াও বুজিয়ে পোৱা নাই অভি।"

Kaushik

পাটকাইৰ কমন ৰুমত বেদান্ত দা আৰু দ্বীপহঁত গোট খাইছিল। ছোৱালীবোৰ আহি পোৱা নাই বাবে এনেই আড্ডা মাৰি আছিল সকলোৱে। লগতে প্ৰিফেক্ট দেৱাশীষো আছিল। কোনোবাই নাটকৰ কথা পাতি আছিল, কোনোবাই এনেই ঢোলটো টুকুৰিয়াই আছিল। অলপ আঁতৰত গৈ কোনোবাই আকৌ বাঁহীটোতে কিবা সুৰ তুলিছিল। এনেতে অভিমন্যু সোমাই যোৱাত বেদান্তই চিঞৰিলে,

"আহা আহা, আমাৰ বেষ্ট এক্টৰ।"

দেৱাশীষে অভিমন্যুৰ পিঠিত পাতলকৈ ঢকা এটা মাৰি ক'লে,

"নাটক শেষ হ'লে যেতিয়াতো তই ফ্ৰী এতিয়া। অলপ বিহুতে লাগি দিবি আৰু।"

"সেই কাৰণেইতো আহিছোঁ। বেদা দা, দিয়ক হে ঢোলটো।"

বেদান্তৰ পৰা ঢোলটো লৈ এচাপৰ মাৰিলে অভিমন্যুয়ে। সি ঢোলো বজাব জানে বুলি সকলোৱে তেতিয়াহে গম পালে। এনেতে সোৱণশিৰীৰ ছোৱালী কেইজনী সোমাই

আহিল। হালধীয়া চাদৰ মেখেলাযোৰ আটিলকৈ পিন্ধি অহা সন্ধ্যাৰ কাষলৈ গৈ ঢোলটো বজাই বিহু জুৰিলে অভিমন্যুয়ে। সকলো আগবাঢ়ি আহিল। কোনোবাই তাল কোনোবাই টকা কোনোবাই বিহুৰে সহযোগো কৰিলে। বাকী কেইজনী ছোৱালী আঁতৰি গৈছিল। সন্ধ্যাৰ কাষতে ৰৈ অভিমন্যুয়ে গাইছিল,

"জোনে দি উমলাম তোমাক জান মৰমী,

আনি দিম সৰগৰ পাৰিজাত এপাহি,

চিৰিং চিৰিং কলিজাত সানি দিম কেঁচা মৰম,

ওচৰ চাপি আহিবা মনৰ কথা খুলি ক'ম"

সকলোৱে হাত চাপৰি বজাই সুৰ মিলাইছিল অভিমন্যুৰ সৈতে। গোটেই কেইটা সন্ধ্যাৰ চাৰিওফালে ঘূৰিব লৈছিল। অভিমন্যুয়ে গাই গৈছিল,

"ইমানতো মইনাজান,

নেৰা যদি অভিমান,

পথালি ঐ কোলাতে,

দুগালে ঐ দুচুমা খাম।"

লগে লগেই হাত তালি বজাইছিল গোটেইবোৰে। সকলোৰে মাজত সন্ধ্যা ৰৈ আছিল গম্ভীৰ হৈ। গহীন স্বৰেৰে তাই ক'লে,

"বান্দৰামি শেষ হ'ল যদি আমি প্ৰেকটিছ আৰম্ভ কৰোঁ।"

সন্ধ্যাৰ এনে এটা উত্তৰৰ বাবে কোনোৱে সাজু নাছিল। এনেকুৱা ধেমালি প্ৰেকটিছত হৈয়ে থাকে। কিন্তু কোনোদিনেই তাইৰ পৰা এনে ব্যৱহাৰ কোনেও পোৱা নাই। পৰিস্থিতিটো সহজ কৰিবলৈ অভিমন্যুয়েই ক'লে,

"আজি তহঁতৰ প্ৰেকটিছত মইও থাকিম। চাওঁ চোন কেনেকুৱা নাচিছ তহঁতে।"

"ৱাহ, আজিহে তেন্তে নাচি ভাল লাগিব দেই।" কংকনাই হাঁহি হাঁহি ক'লে। কিন্তু সন্ধ্যাই একেই গহীন সুৰেৰে দেৱাশীষৰ সমুখলৈ গৈ ক'লে,

"দাদা, প্ৰেকটিছৰ গ্ৰুপৰ বাহিৰৰ মানুহ নথকাই ভাল।"

Kaushik

সন্ধ্যাৰ ব্যৱহাৰত দেৱাশীষো আচৰিত হৈছিল। আগতেও সি সন্ধ্যা আৰু অভিমন্যুৰ চুপতি দেখিছে। কিন্তু তাত সন্ধ্যাৰ কোমল অভিমান আছিল, ইমান কঠোৰ শব্দ নহয়। দেৱাশীষে একো ক'বলৈ নাপাওঁতেই অভিমন্যুয়ে সন্ধ্যাক নিজৰ ফালে ঘূৰাই টানি লৈ ক'লে,

"এবাৰতো সুযোগ দে মোক। কথাখিনি শুনিতো ল।"

হাতখন জোৰেৰে আজুৰি আঁতৰাই সন্ধ্যাই কঠোৰ মাতেৰে কৈছিল,

"ইয়াত কাৰোবাৰ পেন পেনীয়া কাহিনী শুনিবলৈ অহা নাই মই। আৰু তোৰ মতলব কি হা? বিহুলৈ মাজত তিনি দিনো নাই। এতিয়া এনেকৈ টাইম ৱেষ্ট কৰাইছ যে? নে তহঁতে ড্ৰামাত প্ৰাইজ পালি কাৰণে ইচ্ছা কৰি এইবোৰ কৰিছ যাতে বিহুত আমি একো নাপাওঁ।"

সকলোৰে চকু কঁপালত উঠিছিল সন্ধ্যাৰ কথাত। সৰু সুৰা কাজিয়া বাৰু হ'ব পাৰে। কিন্তু এনেকৈ অভিমন্যুক সন্ধ্যাই আঘাত কৰিব পাৰে বুলি কোনেও সপোনতো ভবা নাছিল। হয়তো অভিমন্যুয়েও। খঙত চিঞৰি উঠিছিল সি,

"সন্ধ্যা, কথা কোৱাৰ আগত এবাৰ ভাবি চাবি কি কৈ আছ।"

"সন্ধ্যা, হৈছে কি তোৰ এনেকুৱা কৰিছ যে? অভিমন্যুয়ে তোক ইমান মৰম কৰে আৰু তই..."

কংকনাৰ কথাখিনি শেষ নহওঁতেই সন্ধ্যাই কঠোৰ ভাৱে ক'লে,

"আপোন আপোন বুলি মিছা মৰম চেলোৱা মানুহলৈ মোৰ ঘিণ লাগে।"

চকুত যেন জুই জ্বলিছিল সন্ধ্যাৰ। এটাৰ পাছত এটা অপমানত ধৈৰ্য্য হেৰাইছিল অভিমন্যুৰ। ডিঙিৰ পৰা ঢোলটো খুলি টেবুলত থৈ মাৰি ডাল জোৰেৰে দলিয়াই ওলাই গৈছিল সি। কাঁহ পৰি জীণ গৈছিল গোটেই কমন ৰুমটো। সকলোৱে স্তব্ধ হৈ চাই ৰৈছিল। অলপ পাছতে প্ৰেকটিছ আৰম্ভ হৈছিল যদিও সেইদিনা যেন কাৰোৰে একোৱেই ভাল হোৱা নাছিল। বেদান্তৰ বিহুত খেলিমেলি লাগিছিল। প্ৰাঞ্জলৰ ঢোলৰ চাপৰ বাৰে বাৰে ভুল হৈছিল। ঠৰঙা হৈছিল সন্ধ্যাৰ নাচো। হতাশ হৈ চাই ৰৈছিল দেৱাশীষে। এইটো প্ৰেকটিছত কেনেকৈ দুদিন পাছত ষ্টেজত উঠিব পাৰিব পাটকাই।

Kaushik

পাটকাইৰ ছাদৰ হেলনীয়া টিংখনত পৰি আছিল অভিমন্যু। চাৰিওফালে এন্ধাৰ। তলৰ কমন ৰুমৰ পৰা পাতলকৈ উফৰি আহিছিল বিহুৰ প্ৰেকটিছৰ শব্দ। ঢোল আৰু বাঁহীৰ মিশ্ৰিত সুৰ। তৰা ভৰা আকাশলৈ চাই ৰৈছিল অভিমন্যু। জোনটো নাই। এচটা ডাৱৰ পোহৰ হৈ আছে। তাৰ আঁৰতে লুকাইছে চাগে। কুঁৱলীবোৰ আগৰ দৰে নাই যদিও অলপ পাতল আৱৰণ এটা আছিলেই। প্ৰথম পোহৰৰ পৰা অভিমন্যুয়ে আহি ইয়াত বহোঁতে দেখা অন্ধকাৰ খিনি এতিয়া নাই। ক্ষীণ পোহৰ এটাতেই যেন ফটফটীয়াকৈ দেখিছে সি। এৰা, কোনে কয় দুখবোৰ পাহৰিব পাৰি বুলি? অলপ সময় থকাৰ পাছততো এন্ধাৰতো অভ্যাস হৈ যায়। কন্দা নাছিল অভিমন্যুয়ে। মাত্ৰ বৈ আছিল চকুপানী। আনক হঁহুৱাই ৰখা মানুহবোৰৰ এইটোৱে সমস্যা চাগে। নিজেও কষ্টত কান্দিব নোৱাৰে। সকলো সহ্য কৰিব পাৰিলেও সন্ধ্যাৰ এই অচিনাকি ব্যৱহাৰ সহ্য কৰিব নোৱাৰে অভিমন্যুয়ে। তাইৰ গাতো একো দোষ নাই। ভুল তাৰেই। সি লুকুৱাইছিল সকলো। কিন্তু তাৰ শাস্তি এনেকৈ? সন্ধ্যাই তাক গালি পাৰক, চৰ মাৰক। কিন্তু এই উপেক্ষা যে অসহনীয়। জিলিটোৱে জি জি কৰি আছে। এক নীৰৱতা। "মন যায়"ত জুবিন দাই গোৱাৰ দৰেই যেন এই নীৰৱতা আজি অসহায়।

এনেতে কেৰেককৈ শব্দ এটা হৈ দৰ্জাখন খুলিল। কোনোবা এটা সোমাই আহিছে। অভিমন্যুয়ে দেখিছে, সেইটো অনুৰণ। সি মাজে মাজে ইয়াত আহি চিগাৰেট খায়।

"অভিমন্যু..." অনুৰণে মাতিলে। এন্ধাৰত সি মণিব পৰা নাছিল বোধকৰোঁ।

"এইফালে আছোঁ অনুৰণ।" অভিমন্যুৰ মাতত তাৰ ওচৰতে বহিল অনুৰণ।

"মোক ময়ূঁৰে ক'লে সন্ধ্যাৰ কথা খিনি। সেই কাৰণেই মই কৈ দিবলৈ কৈছিলোঁ তোমাক।"

অনুৰণে হাতখন অভিমন্যুৰ বাহুত থৈছিল।

"মই কি কৰোঁ কোৱা অনুৰণ? সন্ধ্যা এনেকৈ আঁতৰি গ'লে যে মই....."

পিছৰখিনি ক'ব নোৱাৰিলে অভিমন্যুয়ে। খুব জোৰ কৰিলে ওলাই অহা কান্দোন খিনি ৰখাইছিল সি। সকলোৰে আগত হাঁহি লৈ থকা মানুহবোৰে বুকুত এইদৰেই ওলোমাই ফুৰে যন্ত্ৰণাৰ গধূৰ শিল। তাৰেই উদাহৰণ অভিমন্যু।

"চিন্তা নকৰিবা। সন্ধ্যাক মাত্ৰ এবাৰ গোটেই কথাখিনি ভালকৈ বুজাই কোৱা। তাই বুজিব। মই জানো।"

Kaushik

অনুৰণৰ কথাত অস্থিৰ হৈ অভিমন্যুয়ে কৈছিল,

"কিন্তু কেনেকৈ অনুৰণ? তাই মোৰ কথায়ে নুশুনে।"

"শুনিব। মই কৈছোঁ।" অনুৰণে শান্ত সুৰেৰে কৈছিল। তাৰ কথাত একো বুজা নাছিল অভিমন্যুয়ে। যিজনী সন্ধ্যাক সদায় ছাঁৰ দৰে লাগি থকা অভিমন্যুয়েই বুজাব নোৱাৰিলে, তাই শুনিবই বুলি অনুৰণে ইমান বিশ্বাসত কেনেকৈ কৈছে। তাৰ প্ৰশ্নভৰা মুখখন দেখি পাতলকৈ হাঁহি এটা মাৰি অনুৰণে ক'লে,

"বিশ্বাস কৰা মোক। সন্ধ্যাই সকলো কথা শুনিব তোমাৰ। এতিয়া যোৱা। ভাগৰ লাগি আছে আজি। শুই দিয়া গৈ।"

অনুৰণৰ কথাৰ অৰ্থ বুজি নাপালেও তাৰ কথাত থকা বিশ্বাস খিনি অনুভৱ কৰিব পাৰিছিল অভিমন্যুয়ে। মনটো অলপ পাতল হৈছিল। গালৰ শুকান চকুপানী খিনি এনেই এবাৰ মোহাৰি ছাদৰ পৰা নামি নিজৰ ৰুমলৈ গৈছিল সি। এন্ধাৰ ছাদটোত অকলে বহি ৰৈছিল অনুৰণ। অভিমন্যু যোৱাৰ লগে লগেই ছিগাৰেট এটা জ্বলাইছিল সি। জীৱনটোও যদি ছিগাৰেটেই হ'ল হয়। লাইটাৰ মাৰি জ্বলাই যিমান আছে আৱেগ অনুভূতি ধোঁৱাৰ লগতে যদি ওলাই গ'ল হয়। পকেটৰ পৰা মোবাইলটো উলিয়াই সন্ধ্যালৈ এটা মেচেজ পঠালে অনুৰণে,

"Practice ses hole koba, moi thoi ahim hostel t"

আকাশখন তেতিয়া ফৰকাল। হেলনীয়া টিংখনত পৰি ধোঁৱাবোৰ উৰাই আছে অনুৰণে। লগতে এটা এটা হুঁমুনিয়াহো। ডাঁৱৰৰ আঁৰৰ পৰা ওলাই অহা জোনটোলৈ অনুৰণে একেথৰে চাই আছিল। এৰা, কিছুমান বস্তু দূৰৰ পৰা চাইয়ে ভাল লাগে। না হেৰুৱাৰ ভয় থাকে, না পোৱাৰ হাবিয়াস। তলৰ কাৰোবাৰ ৰুমত বাজি আছিল গান এটা,

"জোনাকে কাণে কাণে আহি ক'লে,

নিবিড় অবুজ ভাষাৰে,

তুমি মোৰ মাথোঁ মোৰ....."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 57

"তোমাৰে ঐ কাৰণে,

তোমাৰে ঐ ঘৰতে,

হালোৱা ঐ খাটিছোঁ,

আজিনো অত..... ঐ, তই বাৰে বাৰে চাপৰটো এৰি এৰি কিয় দিছ অ'?"

দ্বীপৰ ঢোলৰ চাপৰত হোৱা ভুলত অতিষ্ঠ হৈ দবিয়াই উঠিছিল বেদান্তই। সন্ধ্যাও ৰৈ গ'ল। তাই জানে, আজিৰ সকলোৰে অন্যমনস্কতাৰ কাৰণ তাইয়ে। যিমান চেষ্টা কৰিলেও আজি বিহু ভাল নহয়। তাই নিজেও অনুভৱ কৰিছে, ভালকৈ নাচিব পৰা নাই আজি। খণ্ডত মানুহে বেলেগক ক্ষতি কৰিবলৈ চেষ্টা কৰা আৰু হাতেৰে অঙঠা তুলি আনলৈ দলিওৱা একেই। আগতে নিজৰ হাতখনহে পুৰিব। এবাৰত বেদান্ত দাৰ কাষলৈ গৈ সন্ধ্যাই ক'লে,

"বেদা দা, আজিলৈ নহ'লে থাকক নেকি? কাইলৈ দেৰি লৈকে কৰিম।"

বেদান্তই মানি ল'লে। সকলোকে প্ৰেকটিছ শেষ বুলি যাবলৈ ক'লে। দ্বীপে সকলোৰে শুনাকৈ চিঞৰিলে,

"কাইলে নীলাচলৰ লগত আমাৰ কাবাডী আছে। তহঁত ছোৱালীবোৰ আহিবি আকৌ দেই।"

গায়ত্ৰীয়ে মিচিকিয়া হাঁহি এটা মাৰি ক'লে,

"কিয় অ'? সোৱণশিৰীৰ উকি কেইটা নুশুনিলে তহঁতে কাবাডী খেলিবই নোৱাৰ নেকি?"

ঢোলটো সামৰি পিঠিত ওলোমাই শেখৰে কৈছিল,

"হাই ঐ, কলিজা। তহঁতৰ চিঞৰ কেইটাত যি হে মোহিনী আছে, কি বুজিবি ঐ।"

লগে লগেই গোটেই জাকৰে হাঁহি। এইবাবেই ভাৰ্চিটী উইক সকলোৰে প্ৰিয়। এই যে বান্ধোন বোৰ, এই যে মাজৰাতিৰ হাঁহিবোৰ, এই যে নিষ্কলুষ ধেমালিবোৰ ইয়াতেই ভাৰ্চিটী উইকৰ সাৰ্থকতা। এইয়াই যে কিমানৰ বাবে নতুন কাহিনীৰ আৰম্ভ কৰে।

Kaushik

বেগৰ পৰা মোবাইলটো উলিয়াওতেই অনুৰণৰ মেচেজটো পালে সন্ধ্যাই। হোষ্টেলত থৈ আহিবলৈ সি কিয় যায় আকৌ? এনেও প্ৰেকটিছ শেষ হোৱাৰ পাছত সদায়ে সিহঁত কেইজনীক বেদান্ত দা, দেৱাশীষ দা, দ্বীপহঁতে থ'বলৈ যায়েই। গোটেই বাটটো চুপতা চুপতি, হাঁহি, উকিৰে গৈ সোৱণশিৰীত থৈ আহেগৈ সিহঁতক। মাজনিশাৰ মৌনতা ভাঙি দিয়ে সিহঁত বোৰৰ চঞ্চল কোলাহলে। অনুৰণ যাম বুলি কোৱাত সন্ধ্যাইও অৱশ্যে ভালেই পালে। তাক অভিমন্যুৰ কথা কোৱাই হোৱা নাই। আজিকালি অনুৰণৰ লগত সকলো কথা পতাটো যেন সন্ধ্যাৰ অভ্যাসেই হৈ গৈছে। প্ৰতি দিনাই প্ৰেকটিছৰ পৰা গৈ তাক মেচেজ এটা দিয়াটো যেন নিয়ম। কোনো বিষয় নোহোৱা কিবা কিবি বোৰ পাতে। তাতো যেন মায়া আছে। যেনে ধৰা কেতিয়াবা তাই দিয়ে,

"Tumalukor patkai r khana bor bhal ako dei"

"Umm bhal, tumaluk ahi thakile hodai bhal hoi e thakibo"

অনুৰণৰ উত্তৰত হাঁহি উঠে তাইৰ। কেতিয়াবা আকৌ দিয়ে,

"Amar practice saboloi tu ahibo para edin, kio naha?"

"Laj lage mur"

তাৰ উত্তৰ। আকৌ হাঁহিত বাগৰি পৰে সন্ধ্যা। কিয় এনেকুৱা এই ল'ৰাটো।

"Amar group re suali ejoni potai dim tumale roba"

অনুৰণক জোকাবলৈকে সন্ধ্যাই দিয়ে। লগে লগেই সিও দিয়ে,

"Polam tente moi tumak dekhile"

হাঁহি হাঁহি সন্ধ্যাই পাহৰি যায় নাচৰ প্ৰেকটিছৰ ভাগৰবোৰ। কোন ল'ৰাই ছোৱালী পতাই দিম বুলি ক'লে পলাম বুলি কয় বাৰু? এই বাবেই যে অনুৰণ বেলেগে। এইবাবেই অনুৰণ প্ৰিয়। প্ৰিয়? অঁ প্ৰিয়। প্ৰিয়বন্ধু।

"ঐ সন্ধ্যা, আহ আকৌ।"

অথনিৰে পৰা মোবাইলটো লৈ ৰৈ থকা দেখি নীতাই চিঞৰি মাতিলে সন্ধ্যাক। সিহঁতৰ লগতে পাটকাইৰ তললৈ আহি আহি অনুৰণলৈ মেচেজ লিখিলে তাই,

"Ses hol practice"

সি চাগে তাইৰ মেচেজটোলৈ হে ৰৈ আছিল। লগে লগে উত্তৰ,

"Tolote rua, goisu moi"

Kaushik

"তইঁত আগবাঢ় চোন। মই লগৰ এজনৰ লগত গৈ আছোঁ।"

সন্ধ্যাৰ কথাৰ লগে লগেই শেখৰে উকিয়ালে,

"ঐ লোককে দেখুৱাই কেটেৰাই মাতিবা ভিতৰি নেৰিবা বেথা।"

দেৱা দা হঁতে গতা মাৰি ঠেলি ঠেলি লৈ গ'ল তাক। সন্ধ্যাই ভাবিছিলেই। তাই সেইবুলি কোৱাৰ লগে লগেই যে সকলোৱে অভিমন্যু বুলিয়েই ভাবিব। ভাবক। কোনোবাই ভাবিলে তাইৰ কি আহে যায়? তাইতো জানে, অভিমন্যু নামৰ ল'ৰাটোক ক্ষমা নকৰে তাই। পৰৰ মানুহক ক্ষমা কৰা সহজ, কিন্তু ভুল যেতিয়া আপোন কোনোবাই কৰে ক্ষমা কৰা কঠিন। বেদান্ত আৰু দেৱাশীষহঁতৰ লগত বাকী কেইজনী ছোৱালী আগুৱাই গৈ গলীটোৰ মুখ পাইছিলগৈ। এনেতে অনুৰণ ওলাই আহিল,

"এইটো লোৱা, ঠাণ্ডা পৰি আছে বাহিৰত।"

জেকেট এটা তাইলৈ আগবঢ়াই দি ক'লে সি। চুটি হাতৰ খালী ব্লাউজটো পিন্ধি অহাৰ বাবে কেইবা দিনো বিদিশা বাই বকিছিল তাইক। ঠাণ্ডা এতিয়াও কমা নাই। তাতে নৈপৰীয়া তেজপুৰৰ ফেৰফেৰীয়া বতাহজাক গোটেই ৰাতি বলিয়েই থাকে। প্ৰেকটিছৰ পৰা উভতি যাওঁতে সোৱণশিৰী পাইগৈ মানে কঁপনি উঠি যায় সন্ধ্যাৰ। তেও চুৰেটাৰ এটা আনিবলৈ সদায় পাহৰিয়ে থাকে। অনুৰণে হয়তো দেখিছিল তাইক। সেইবাবেই লৈ আনিছে সি। তাৰ জেকেটটো তাইলৈ যথেষ্ট ডাঙৰ যদিও পিন্ধি লৈ অনুৰণৰ লগে লগেই খোজ দিলে সন্ধ্যাই। চাৰিওফালে নিস্তব্ধ। ফিল্ডখনো উকা। কিছু দূৰৈত গৈ থকা শেখৰহঁতৰ চুপতা চুপতিবোৰৰ হাঁহিৰ উকি ভাঁহি আহিছে অস্পষ্ট ভাৱে। ফেৰফেৰীয়া বতাহজাকত উৰি অহা চুলি কেইডাল কাণৰ কাষলৈ ঠেলিছে সন্ধ্যাই। এনেতে অনুৰণেই ক'লে,

"আজি নাটকৰ ৰিজাল্ট দিয়াৰ পাছতে ক'ত গুছি গ'লা?"

সন্ধ্যাই কৈছিল কথাবোৰ। অভিমন্যুয়ে ফোনত যি যি কথা পাতিছিল তাৰ পৰা বিহুৰ প্ৰেকটিছত তাই কৰা বেয়া ব্যৱহাৰলৈকে। যিমান যি হ'লেও সন্ধ্যাইও বুজিছিল, তাইৰ খং যুক্তিগত হ'লেও ব্যৱহাৰখিনি একেবাৰে উচিত নাছিল। তাতে দেৱা দাহঁতৰ সমুখত। কিন্তু তাই কি কৰিব? তাক দেখা লগে লগেই যে গোটেই কথাবোৰ চকুৰ সমুখলৈ আহি গৈছিল আকৌ। সেইবাবেই আঘাত কৰিছিল তাই অভিমন্যুক। উপৰ্য্যুপৰি

kaushik

আঘাত কৰিছিল শব্দৰে। কথাখিনি কৈ থাকোঁতে শেষৰ ফাললৈ উচুপি উঠিছিল সন্ধ্যাই। মন্থৰ হৈছিল সিহঁতৰ খোজবোৰ।

"সি কিয় এনেকুৱা কৰিলে ৰণ?"

"এই, কান্দিছা কিয় তুমি?" অনুৰণৰ কথাত আকৌ উচুপিছিল সন্ধ্যাই। চকুপানী বৈ আহিছিল তাইৰ গালেৰে।

"নাকান্দিবা অ' মাইনা।" বৰ কাতৰ ভাৱেৰে কৈছিল অনুৰণে। সন্ধ্যাই আচৰিত হৈ চাইছিল তালৈ। "মাইনা"? ইমান মৰমত কোৱা এই শব্দটোত কি শক্তি আছিল নো? তাইৰ কান্দোন খিনিও ৰখাই দিছিল। ৰৈ গৈছিল সন্ধ্যাৰ ভৰিৰ খোজো। অনুৰণো ৰৈ তাইৰ চকুপানীখিনি হাতেৰে মচি দিছিল। চকুযোৰ মুদি দিছিল সন্ধ্যাই। ল'ৰা মানুহৰ হাতৰ স্পৰ্শও ইমান আলফুল হ'ব পাৰে নে? যেন এপাহ ফুলৰ পৰা নিয়ঁৰৰ পানীহে টুকিছে। আকৌ খোজ লৈছিল সিহঁতে। অনুৰণে শান্ত মাতেৰে কৈছিল,

"তোমাৰ কথাখিনি মই বুজিছোঁ। দুখ লাগিছে তোমাৰ, কষ্টও পাইছা। কিন্তু সন্ধ্যা, কেতিয়াবা আমি নিজৰ কষ্টবোৰত ইমান বেছি ব্যস্ত হৈ যাওঁ যে আনৰ কষ্টবোৰ চাবলৈকে পাহৰি যাওঁ। অভিমন্যুয়ে তোমাৰ পৰা কথাখিনি লুকুৱাইছিল ঠিকেই। কিন্তু কিয় লুকুৱালে সেইটো ভাবিবলৈ চোৱা। হয়তো তাৰ মনত তোমাক হেৰুৱাৰ ভয় আছিল। সন্ধ্যা, কাৰোবাক হেৰুৱাৰ ভয়ত কোৱা মিছা কথাটো জানো ক্ষমা কৰিব নোৱাৰা দোষ হ'ব পাৰে? তোমাৰ কষ্ট মই বুজিছোঁ। কিন্তু এবাৰ তুমি অভিমন্যুকো সুযোগ দি চোৱা। কিজানি সি তোমাতকৈও বেছি কষ্টত আছে। মাত্ৰ এটা ভুলৰ বাবে তাৰ ইমান দিনৰ মৰম খিনি মিছা বুলি উৰাই নিদিবা।"

অনুৰণৰ কথা শুনি কেৱল নীৰৱ হৈ গৈ আছিল সন্ধ্যা। অনুভৱ কৰিছিল তাইও, হয় তাই কিছু বেছিকৈ ক'লে নেকি অভিমন্যুক? তাক এবাৰ নিজৰ কথাখিনি কোৱাৰ সুযোগতো দিব লাগিছিল তাই। অনুৰণে আকৌ ক'লে,

"কৌশিকৰ ভিডিঅ' টো কৰিও সি তোমাক সহায় কৰা নাছিল জানো?"

হয়, সন্ধ্যাই পাহৰি গৈছিল সকলো কথা। অনুতাপ হৈছিল তাইৰ নিজৰ ব্যৱহাৰৰ বাবে। ছেহ, অভিৰ কি হৈছে চাগে অৱস্থা।

"মই ভুল কৰিলোঁ ৰণ। কি কৰিম এতিয়া?"

তাইৰ কথাত মিচিকিয়া হাঁহিৰে অনুৰণে ক'লে,

Kaushik

"কাইলৈ লগ কৰিবা তাক। কথাবোৰ পাতিবা ভালকৈ। চোৱা, সকলোৱে কোৱাৰ দৰে তোমালোকৰ মাজত প্ৰেম আছে নে নাই সেয়া তোমালোকে ঠিক কৰিবা নিজে। কিন্তু মৰমবোৰ শেষ নকৰিবা। তুমিতো মৰমৰ ভাণ্ডাৰ হয় সন্ধ্যা। তোমাৰ চকুত অভিমানহে ভাল লাগে, ঘৃণা নহয়।"

অনুৰণে একেৰাহে ইমানবোৰ কথা কেতিয়াও নকয়। কিন্তু যেতিয়াই সন্ধ্যা আৰু সি অকলে থাকে, বিশেষকৈ তাই যেতিয়া কষ্টত থাকে তেতিয়াৰ তাৰ প্ৰতিটো শব্দ যেন প্ৰশান্তিৰ সুৰ হৈ বাগৰে। সন্ধ্যাই শলাগিছিল তাৰ কথাখিনি। সিহঁত essentialৰ নাহৰ জোপাৰ তল পাইছিলহি। সোৱণশিৰীৰ সমুখতে শেখৰহঁত আৰু কংকনাহঁত বৈ কথা পাতি আছে। হাঁহিবোৰ ৰিণি ৰিণিকৈ উফৰি আহিছে ইয়ালৈকে। অনুৰণে তাতেই বৈ ক'লে,

"যোৱা, মই আৰু আগলৈ নাযাওঁ।"

"কিয়?" সন্ধ্যাই আচৰিত হৈ সুধিলে। ইমান খিনি আহিলেই যেতিয়া এই দুখোজ গ'লেনো কি হয়? কিন্তু অনুৰণৰ মুখৰ ভিতৰতে সলাজ উত্তৰ,

"ইমান বোৰ ছোৱালী আছে, লাজ লাগে।"

"ধেৎ এইটো।" তাৰ বাহুটোতে মিহিকৈ ঘোঁচা এটা মাৰি সন্ধ্যাই হাঁহিলে। বহু সময়ৰ মূৰত হাঁহিলে তাই। চকুৰ পানীবোৰ শুকাইছিল তেতিয়া। বতাহত চুলিকেইডাল চকুৰ এক অংশ ঢাকিছিল। অনুৰণে আকৌ কৈছিল,

"হাঁহি থাকিবা সদায়।"

সন্ধ্যাই অনুৰণৰ জেকেটটো খুলি আগবঢ়াই দিলে তালৈ। "যাওঁ" বুলি আগুৱাই গ'ল তাই সোৱণশিৰীৰ ফালে। অনুৰণ চাই ৰৈছিল তাই যোৱাৰ ফালে। জেকেটটো জোৰেৰে সাৱটি লৈছিল বুকুৰ মাজত। গধূৰ বুকুখনত কষ্টৰে লৈছিল এটা দীঘলীয়া উশাহ। এৰা, কিছুমান যন্ত্ৰণা বুকুত লৈ জী থকাতো এক মাদকতা আছে যদিও ই শূণ্য কৰি পেলাই ভিতৰখন।

হোষ্টেল গৈ পাইয়ে আকৌ ব্যস্ত হৈছিল সন্ধ্যা। কাইলৈ দিহা নাম প্ৰতিযোগিতা। মনীষা বা নামতী। সিহঁতে প্ৰেকটিছ কৰিয়ে আছে। সন্ধ্যাইও যোগ দিলে তাতে। প্ৰায় তিনি মান বজালৈকে প্ৰেকটিছ কৰিছিল সিহঁতে। ভাৰ্চটি উইকে খাৱন শোঁৱন নোহোৱা কৰি

Kaushik

দিয়ে সকলোৰে। আৰু আচৰিত ধৰণে সিহঁতবোৰো ভাগৰ পাহৰি ব্যস্ত হৈ থাকে এইবোৰতে। ২৪ ঘন্টাত আঠ / ন ঘন্টাকৈ শোৱা ছোৱালীজনী বা ল'ৰাটোও আঠ মিনিটো পৰিবলৈ সময় নাপাই বিচনাত। তেও যেন অভিযোগ নাই। যৌৱনৰ বলিয়া ফাগুণে জীয়াই ৰাখে সিহঁতবোৰক। মৰমৰ হোষ্টেলখনক সকলোতে জিলিকাই তোলাৰ হেঁপাহে সঞ্জীৱনী শক্তি দিয়ে।

পিছদিনা ৰাতিপুৱাই ছোৱালী হোষ্টেলবোৰৰ দিহা নাম আৰু ল'ৰাৰ হোষ্টেলবোৰৰ নাগাৰা নাম প্ৰতিযোগিতা। কে বি আৰতে হৈছিল। ধূপৰ গোন্ধ, ঘোষাৰ সুৰ, খোল আৰু বৰতালৰ মাতত কে বি আৰ যেন নামঘৰলৈহে সলনি হৈছিল। বৰ মনোৰম হৈছিল পৰিৱেশটো। মনীষা বাই বৰ সুন্দৰকৈ দিছিল দিহা নামটো,

"নাৰদে বোলয় নাৰায়ণ নাৰায়ণ

প্ৰহ্লাদে বোলয় হৰি,

অৰ্জুনে বোলয় সখা শ্ৰীকৃষ্ণ

নাযাবা আমাক এৰি।"

দিহা নামৰ পাছতে ল'ৰাবোৰৰ নাগাৰা নাম। পাটকাইৰ নামতী বেদান্ত দা। বিহুৰ পৰা নামলৈকে তাৰ অবাধ দখল। অভিমন্যু আৰু ময়ূঁৰো আছিল নাগাৰা নামত। বেদান্ত দাই দিয়া নামটো শুনি পুলকিত হৈ পৰিছিল সন্ধ্যা,

"গকুল বৃন্দাবনত কৃষ্ণ গোঁসাই,

কানাই ধেনু চাৰে বাঁহী বজাই,

বাঁহীৰ মাতে শুনি অ' ৰাধেমাই,

যমুনাৰ বালিতে কলচী পেলাই"

দৰ্শকৰ শাৰীত থকা সকলোৰেও হাত চাপৰি বজাইছিল সিহঁতৰ লগতে। ইমান প্ৰাণ ঢালি গাব পাৰে বেদা দাই। শুনিলে শুনি থাকিবলেই মন যায়। অলপ পাছতে ৰিজাল্ট দিছিল। ছোৱালীৰ দিহা নামত ছেকেণ্ড হ'ল সন্ধ্যাহঁত। ফাৰ্ষ্ট হ'ল ধনশিৰী। কিন্তু ল'ৰাৰ ফাৰ্ষ্ট পাটকাই। একেৰাহে দুদিন জিকি ফুৰ্তিত তৎ নাছিল কাৰোৰে। জঁপিয়াই চিঞৰি নাচি উঠিছিল পাটকাইৰ ল'ৰাবোৰে। এবাৰত সন্ধ্যাই অভিমন্যুৰ ওচৰ পালেগৈ। সি আঁতৰি যাব লওঁতেই তাই ক'লে,

Kaushik

"Congrats"

"Same to you" তাইৰ ফালে নোচোৱাকৈয়ে অভিমন্যুয়ে কৈছিল।

"আজি কাবাডী ভালকৈ খেলিবি।" সন্ধ্যাই আকৌ ক'লে।

"উমম।" তাৰ চমু উত্তৰ।

"খেলৰ পাছত লগ পাম।" এইবাৰ সন্ধ্যাৰ কথাত তাইলৈ চাইছিল সি। মুখখন পোহৰ যেন হৈ উঠিছিল। কিন্তু লগে লগেই ভাৱটো লুকুৱাই কৈছিল,

"চাওঁ চোন বাৰু।"

কথাটো কৈয়ে আঁতৰিছিল অভিমন্যু। সি যোৱাৰ ফালে চাই সন্ধ্যাই ভোৰভোৰালে,

"ইস, ঠেহটো চোৱা।"

আবেলিলৈ কাবাডী। সন্ধ্যাই এইবোৰ বৰ ভাল নাপাই যদিও পাটকাইক চাপোৰ্ট দিবলৈকে আহিল। ফিল্ডৰ আধাতকৈ বেছি দৰ্শকেই আছিল নীলাচলৰ ল'ৰা। আচৰিত ইউনিটী এই হোষ্টেলটোৰ। য'তেই যায় গোটেই হোষ্টেলটোৱেই উঠি যায়। খেলখন ঠিকেই চলি আছিল। অভিমন্যুয়ে ভাল খেলিছিল যদিও নীলাচল জিকি আছিল। কিন্তু হঠাৎ কাৰ কি হ'ল জানো, শেষৰ সময়তে কোনোবা এটাই অভিযোগ কৰিলে নীলাচলৰ কোনোবা এটাই গেজু মানে অন্যায় কৰিছে। লগে লগে আৰম্ভ হৈ গ'ল চিঞৰ বাখৰ হুলস্থুল। ৰেফাৰীয়েও পৰা নাই কাকো চম্ভালিব। এনেতে নীলাচলাৰ কোনোবা এটাই বেছি আৱেগিক হৈ পাটকাইৰ ছিনিয়ৰ ল'ৰা এটাক ঠেলা মাৰি বগৰাই দিলে। এইবাৰ খঙত একো নাই হৈ অভিমন্যু গৈ চিধা নীলাচলৰ ল'ৰাটোৰ ডিঙিত ধৰিলে গৈ,

"কাৰ গাত হাত দিছ তই?"

শেষত যেনিবা পাটকাইৰ প্ৰিফেক্ট দেৱা দা আৰু নীলাচলৰ প্ৰিফেক্ট মানস দাৰ হস্তক্ষেপত সিমানতে ৰ'ল। পাটকাইৰ পৰি যোৱা ল'ৰাজনৰ ওচৰ চাপি অভিমন্যুয়ে সুধিলে,

"দাদা আপুনি বেছি দুখ পোৱা নাইতো?"

Kaushik

এতিয়াহে সি মন কৰিলে এইটোৱে সিদিনা ময়ূঁৰক মাৰিবলৈ লোৱাটো। ল'ৰাটোৱে অনুতাপ কৰি ক'লে,

"ভাই, মাফ কৰি দিবি বে। সিদিনা মই তোৰ লগৰ তোক মাৰিব গৈছিলোঁ আজি তই মোৰ কাৰণে কাজিয়া লাগিছ।"

অভিমন্যুয়ে হাঁহি মাৰি কৈছিল,

"ঘৰৰ মানুহৰ মাজত সৰু সুৰা কিবা লাগিব পাৰে দাদা। সেইবুলি বেলেগক কিয় সুযোগ দিম কওঁক।"

ছিনিয়ৰ ল'ৰাটোৱে সাৱটি ধৰিছিল অভিমন্যুক। এইয়াই বান্ধোন। হোষ্টেলে আনি দিয়া মৰমৰ বান্ধোন। সন্ধ্যাই আঁতৰৰ পৰা চাই আছিল। তাইও অনুতাপ কৰিছিল, এইটো অভিমন্যুকে কি সতেৰে যে তাই বেয়াকৈ কৈছিল। কাবাডীত অৱশেষত নীলাচলেই জিকিলে। নীলাচল আৰু পাটকাইৰ কাজিয়া তাতেই ৰৈছিল যদিও দুয়োখন হোষ্টেলৰ মাজত সকলোৱে অজানিতে গঢ় লৈ উঠিছিল এক অনামী শত্ৰুতা। কোনেও নাজানে ই কেতিয়ালৈকে থাকিব।

Kaushik

খেল শেষ হওঁতেই অভিমন্যুৰ ওচৰলৈ গৈ মাতিলে সন্ধ্যাই,

"তোৰ লগত কথা আছে।"

"মোৰ একো কথা নাই।" বুলি সি আঁতৰি যাব লৈছিল। সন্ধ্যাই হাতত ধৰি টানি নিলে তাক। সিও পুতলাৰ দৰে গৈ আছিল। সন্ধ্যাৰ পৰা হাত আজুৰি অনাৰ শক্তি যে তাৰ নাই। কাঞ্চনজংঘাৰ পুলটোত বহিছিল সিহঁত। আবেলিৰ বেলি যাওঁ যাওঁ হৈছিল। হেঙুলীয়া ৰংখিনিয়ে চানি ধৰিছিল আকাশখন। ফিল্ডখনো ৰঙীন হৈ পৰিছিল ৰান্ধনি বেলিটোৰ ৰঙেৰে। অভিমন্যুয়েই সুধিলে,

"ক, কি হ'ল?"

"কালিৰ কাৰণে ছৰী।" সন্ধ্যাই তলমূৰ কৰি ক'লে।

"হ'ব দে। গম পাইছো বাৰু তই খঙত আছিলি বুলি।"

"তেন্তে ক মোক। কোন আছিল সেইজনী ফোনত। কি কৈ আছিলি তাইৰ আগত।"

সন্ধ্যাৰ মাতটো ডাঙৰ হৈ ওলাইছিল।

"ক'ম সন্ধ্যা। চব ক'ম তোক। এবাৰ এই ভাৰ্চিটী উইকটো শেষ হওঁক। মাত্ৰ এটা কথা কৈ থওঁ এতিয়া, তই ভবাৰ দৰে একো নহয়। কাৰো লগতে ৰিলেশ্যনত নাই মই। খালী মোৰ এটা পাষ্ট আছে। যিটোৱে এতিয়াও মোক শান্তি দিয়া নাই। খুব অশান্তিত আছোঁ।"

অভিমন্যুৰ মাতটো সৰু হৈছিল শেষৰ ফালে। সন্ধ্যাই তাৰ বাহুত হাত থৈ ক'লে,

"মোকতো ক'ব পাৰ অভি।"

"ছৰী, তোক আগতেই ক'ব লাগিছিল। কিন্তু এতিয়া ক'ম চব। মাত্ৰ মোক তই মিছা মৰম চলোৱা বুলি নক'বি অ' সন্ধ্যা। বৰ কষ্ট হয় মোৰ।" মাতটো কঁপিছিল অভিমন্যুৰ। চকুযোৰ সেমেকিছিল সন্ধ্যাৰ। তাৰ বাহুটোত মূৰটো পেলাই দি কৈছিল তাই,

"নকওঁ অভি, কেতিয়াও নকওঁ। মইওতো কষ্টত আছিলোঁ তোক তেনেকে কৈ।"

অলপ সময় পাৰ হৈছিল তেনেকৈয়ে। আৰম্ভ হ'ব লৈছিল এটি ৰূপালী সন্ধ্যাৰ।

"এতিয়া যা, আজি বিহুৰ প্ৰেকটিছ সোনকালৰ পৰা হ'ব নহয়। আজি মোক থাকিবলে দিবি নাই?"

অভিমন্যুৰ কথাত হাঁহি তলমূৰ কৰিছিল তাই। সি আকৌ তাইৰ কাণৰ কাষলৈ আহি ফুচফুচাই ক'লে,

"তহঁতৰ বিহু নাচৰ এই কংকনা বোলা ছোৱালী জনীৰ লগত মোক...."

কথাটো কৈ নহওঁতেই সন্ধ্যাই তাক ঠেলা মাৰি কৈ উঠিল,

"যাহ এইডাল। চেনিৰাম।"

পুলটোৰ পৰা উঠি সোৱণশিৰীৰ ফালে থৰকৈ খোজ ল'লে তাই। কালিৰ পৰি গধূৰ হৈ থকা মনটো আজি যেন পাতল হৈ গৈছিল। অভিমন্যুৰো। কিন্তু সন্ধ্যা আৰু অভিমন্যু এটাইও সপোনতো ভবা নাছিল সিহঁতৰ মনবোৰ পাতল কৰিবলৈ আন কোনোবাই যে বুকুৰ মাজত ব'ব লগা হৈছিল আন এটা গধূৰ শিলৰ বোজা।

Kaushik

সেইদিনা ৰাতিলৈ পাটকাইৰ প্ৰেকটিছ জোৰদাৰ হৈছিল। অভিমন্যুও আছিল প্ৰথমৰ পৰা শেষলৈকে। বেদান্তৰ লগতে সুৰ মিলাই সিও গাইছিল,

"সঁচাকৈ সুধিছোঁ অ' ভনীটি ৰহেদৈ,

যাবা নে নোযোৱা জীৱন সংগী হ'বলৈ"

ৰাতি প্ৰায় দুই বজালৈকে হৈছিল প্ৰেকটিছ। আজিয়েই শেষ সকলো প্ৰেকটিছ। কাইলৈ বিহুৰ লগে লগেই সকলো প্ৰতিযোগিতাও শেষ। এবছৰলৈ সকলো আকৌ স্তব্ধ। মাত্ৰ ৰৈ যাব ভাৰ্চিটী উইকে আনি দিয়া সম্পৰ্কবোৰ, এই এমাহতে আপোন হৈ পৰা পৰিয়ালৰ বান্ধোনবোৰ। ৰাতি সন্ধ্যাহঁতক হোষ্টেলত থ'বলৈ যাওঁতে শেখৰ দা, বেদা হঁত আৱেগিক হৈ গৈছিল। সন্ধ্যাহঁতৰো মনবোৰ সেমেকিছিল। সন্ধ্যাই মন বেয়া নকৰিবলৈ সকলোকে কৈছিল,

"বৰষা পথাৰত বিহুটো যেতিয়াই শুনিম, তেতিয়াই আমি এইদিনবোৰক মনত পেলাম চবেই।" তেনেকৈয়ে শেষ হৈছিল শেষৰ দিনাৰ প্ৰেকটিছ।

Kaushik

পিছদিনা ৰাতিপুৱা কোৰাছ হৈ গ'ল। বেচেৰী সন্ধ্যা ভাল গান গাই বুলিয়ে তাতো সোমাব লগীয়া হ'ল। গাইছিল সিহঁতে,

"অগ্নিযুগৰ ফিৰিঙতি মই,

নতুন অসম গঢ়িম....."

কিন্তু শৰাইঘাট, বৰদৈচিলা আৰু ধনশিৰী প্ৰথম হৈছিল কোৰাছত। দ্বিতীয় চৰাইদেউ আৰু পবিতৰা। দুখ মনেৰে হোষ্টেললৈ অহা ছোৱালীবোৰক বিহুৰ বাবে দুগুণ উছাহেৰে সাজু হ'বলৈ কৈছিল ৰীণা বাই। সকলোকে কৈ আছিল যদিও গোটেই হোষ্টেলৰ আশা থূপ খাই আছিল সন্ধ্যাৰ ওপৰত। দীপা বাইও কৈছিল বহু বছৰ সোৱণশিৰীৰ পৰা শ্ৰেষ্ঠ বিহুৱতী ওলোৱা নাই। গতিকে এইবাৰ যেন সেইটো সন্ধ্যাই আনে। তাইৰ মাতটো বৰ মিঠা, লগতে নাচেও ধুনীয়া। সেইবাবেই সন্ধ্যাৰ ওপৰত সকলোৰে আশা। সন্ধ্যাই নিজেও কষ্ট কৰিছে যথেষ্টখিনি।

সন্ধিয়া ছয় মান বজাৰ পৰাই বিহু। ভাগ লোৱা খিনিৰ বাহিৰেও বাকী বোৰৰো গা সাতখন আঠখন। বিহুতকৈ আপোন আৰু এজন অসমীয়াৰ বাবে আৰু কি হ'ব পাৰে।

প্ৰায় পাঁচ মান বজাতে সোৱণশিৰী পাইছিলহি নিমিষা আৰু পৰী। সন্ধ্যাক সজাই দিবলৈকে আহিছিল সিহঁত। নিজৰ হোষ্টেলৰ নহ'লেও সন্ধ্যাৰ প্ৰতি থকা মৰমৰ বাবেই তাইক সজাই দিবলৈ আহিছিল দুয়োজনী। সীমাও আহিলহেঁতেন। কিন্তু তাই জুৰিক সজাবলৈ ৰখিলে। জুৰিয়েও বিহু নাচিছে প্ৰাগজ্যোতিকাৰ পৰা। সকলো হোষ্টেলতে এই সময়ত নাচনীহঁতৰ উখল মাখল। কোনোবাই যদি সাঁচি থোৱা মুগাৰ সাজযোৰকে গাত লৈ চাইছে, কোনোবাই আকৌ গগণাটোকে একোবাৰ বজাই পৰীক্ষা কৰিছে। কোনোবাই হয়তো কপৌফুল পাহকে খোপাত দি চাইছে। এই ফাগুণতে কপৌফুল ক'তো নাই যিহেতু সকলোৱে টাউনৰ পৰাই কিনি আনিছে প্লাষ্টিকৰ কপৌফুল। সন্ধ্যাইও সিদ্ধাৰ্থ দাৰ লগতে গৈ টাউনৰ পৰা ধুনীয়া এপাহ আনি থৈছে। খোপাত লৈ থাকিলে ধৰিবই নোৱাৰি আচল নে নকল। বিদিশা, ৰীণাহঁতে যে প্ৰথম প্ৰথম সঁচা বুলিয়েই ভাবিছিল।

বিচনাতে মুগাৰ কাপোৰ সাজ, গগণাটো, গামখাৰু যোৰ, জোনবিৰী, ঢোলবিৰী আৰু কপৌফুল পাহ উলিয়াই লৈছে সন্ধ্যাই। তাইৰ চেনেহৰ সাজযোৰ। হেঁপাহেৰে বস্তুখিনি উলিয়াই সজাই থৈ বাথৰুমলৈ ওলাল তাই। আকৌ এবাৰ গাটোৱেই ধুই আহিবগৈ। নিমিষা আৰু পৰীহঁত প্ৰিয়াৰ ৰুমতে আছে। প্ৰিয়াই কৈছে সন্ধ্যাৰ গা ধুই হ'লে ফোন এটা কৰি মাতি দিবলৈ। সিহঁতে সজাই দিব তাইক। কাৰণ আজি বিদিশা বাহঁতৰতো সময়ে নাই দৌৰা দৌৰিত। গতিকে সন্ধ্যাই নিজে ওলাবলৈ ল'লে বিহু শেষ হোৱাৰ পাছত হে পাবগৈ। বিহুনাচৰ বস্তুবোৰ বিচনাতে থৈ দুৱাৰৰ হুকটো মাৰি গা ধুবলৈ গ'ল সন্ধ্যা। অলপ পাছতে তিতা চুলিখিনি টুকি টুকি ৰুমলৈ আহি দুৱাৰ খুলিয়ে হতচকিত হৈ ৰৈ গ'ল তাই। বুকুখনে যেন ধান বনাদি বানিছিল। চিঞৰি দিব যেন আকাশ বিদাৰি। সন্ধ্যা দৰ্জাখনত লাগি ৰৈ গৈছিল। কাৰণ ৰুমৰ মজিয়াত জুইত পুৰি লাডু হৈ পৰি আছিল তাই পিন্ধিবলৈ আনি থোৱা কপৌফুল পাহ। ইফালে বিচনাৰ ওপৰত দুটুকুৰা হৈ পৰি আছিল তাইৰ চেনেহৰ গগণাটো।

(আগলৈ)

#নিৰিবিলি

Part 58

সময় নিষ্ঠুৰ বুলি সকলোৱে কয়। কিন্তু ইমান পাশৱিক হ'ব পাৰে নে? গোটেই সোৱণশিৰীয়ে যাৰ ওপৰত শ্ৰেষ্ঠ বিহুৱতীৰ বাবে আশা কৰি আছে, সেই সন্ধ্যাৰ

চেনেহৰ গগণা সৌৰা টুকুৰা টুকুৰ হৈ পৰি আছে। জুইত পুৰি লাডু হৈ থকা কপৌ পাহৰ পৰা ওলোৱা ধোঁৱা আৰু তাৰ দুৰ্গন্ধই যেন সন্ধ্যাক মস্কৰা হে কৰিছে। আশ্বৰ্য্য আৰু বিস্ময়ত সন্ধ্যাই কান্দিবলৈও পাহৰি গৈছিল। কাৰ মনত তাইৰ প্ৰতি ইমান বেছি ঘৃণা ইমান বেছি হিংসাৰ ভাৱ আছে তাই ভাবি উলিয়াব নোৱাৰে। কি কৰিব তাই? প্ৰতিযোগিতালৈ মাজত মাত্ৰ এক ঘন্টা। সিহঁতৰ দুই নম্বৰত আছে। এই সময়ত কাৰোবাৰ পৰা কিবা সহায় পোৱাৰ আশাও নাই। জড় হৈ বহি ৰ'ল সন্ধ্যা বিচনাতে। প্ৰিয়াই ফোন কৰি আছে। নাই, ফোন ধৰিবৰ শক্তি নাই সন্ধ্যাৰ। গগণাৰ টুকুৰা দুটা বুকুত সাৱটি লৈছিল তাই। চকু পানী বৈ আহিছিল। এই মৰমৰ চহৰ খনতো ইমান কপট মানুহ আছে নে? ইমান পাশৱিক নে মনবোৰ? সকলো সপোন যেন এবাৰত ধূলিস্যাৎ হৈছিল তাইৰ। নাই গগণা, নাই কপৌফুল। বিচাৰকে ক'ত নম্বৰ দিব তাইক? কৰুণ দৃষ্টিৰে টেবুলত থকা কৃষ্ণৰ মূৰ্তিটোলৈ চাইছিল তাই, এইয়া কি কৰিলা কানাই? কিদৰে মুখ দেখুৱাব তোমাৰ দুখুনী ৰাধাই?

সময় পাৰ হোৱাৰ লগে লগে প্ৰিয়াৰ অলপ সন্দেহ হৈছিল। এই সন্ধ্যাৰ হ'ল কি? সেইবাবে পৰীহঁতকো লৈ সন্ধ্যাৰ ৰুম পালেহি তাই। আহিয়েই আচৰিত হ'ল সকলো। প্ৰথমেই কিবা প্লাষ্টিক পোৰা পোৰা গোন্ধ, ইফালে বিচনাত বেৰত আঁউজি প্ৰস্তৰ মূৰ্তি হৈ মেলা চুলিৰে বহি আছে সন্ধ্যা। প্ৰিয়াই চিঞৰাৰ দৰেই সুধিলে,

"ঐ, কি হ'ল তোৰ? এক ঘন্টা আছে মাত্ৰ জান নে?"

মুখেৰে একো নকৈ সন্ধ্যাই ভঙা গগণাৰ টুকুৰাটো দাঙি ধৰিলে। লগতে মজিয়াত পৰি থকা কপৌফুল পাহ দেখিছিলেই চবেই।

"Whaaat?"

"কি ফাল্টু?"

"কেনেকে হ'ল এইবোৰ?"

আচৰিত হৈ চিঞৰি উঠিছিল প্ৰিয়াহঁতে। সন্ধ্যা নিথৰ।

"একো নহয় সন্ধ্যা, তই চিন্তা নকৰ। মই বিহু নচা চব ছোৱালীক সুধি আহোঁ। কাৰোবাৰ নহয় কাৰোবাৰ তাততো থাকিবই এক্সট্ৰা গগণা নহ'লে ফুল। ৰহ। নিমি, তহঁতে উলিয়া তাইক। মুঠতে সন্ধ্যাই নাচিবই।"

Kaushik

একে উশাহেৰে কথা কেইটা কৈ হুৰমুৰকৈ ওলাই গ'ল প্ৰিয়া। প্ৰত্যেকজনী ছোৱালীৰ দুৱাৰে দুৱাৰে টুকুৰিয়াবলৈ আৰম্ভ কৰিলেগৈ তাই।

"উঠ সন্ধ্যা, নাচিব লাগিব তই। উঠ।"

নিমিষাই ধৰি উঠাই দিলে তাইক। পৰীয়ে সাৰটি ধৰি ক'লে,

"তোমাৰ নাচৰ ওপৰত আমাৰ বিশ্বাস আছে সন্ধ্যা, ফুল গগণা নোহোৱাকৈও পাৰিবা তুমি। উঠা।"

সন্ধ্যা উঠিল। এৰা, তাই নাচিব। গগণা নোহোৱাকৈও নাচিব তাই লাগিলে। হয়, সোৱণশিৰীক জিকাব নোৱাৰিব। কিন্তু বিহু নাচিবই তাই। যাতে গোটেই ইউনিভাৰ্চিটীয়ে ক'ব লগা হয়, "গগণা আৰু কপৌ পাহ থকা হ'লে সন্ধ্যায়েই জিকিলে হয়।"

নিমিষাই তাইক কাপোৰ সাজ পিন্ধাই দিলে। থমথমীয়া মুগাৰ মেখেলা আৰু চাদৰখন। মুগা ৰঙৰ ব্লাউজটোৰ হাতটোত মাজতে সৰু সৰু জাপিটোৰ দৰে ৰঙা ৰঙা ফুল। মেখেলাখনৰো আধালৈকে ৰঙা ফুলবোৰ ভৰি আছে। চাদৰখন ৰঙা পাৰি দিয়া। ৰূপালী ৰঙৰ মাজত সোণালীৰ পৰশ থকা গামখাৰু যোৰ পিন্ধাই দিছিল পৰীয়ে। কেঁচা সোণৰ ঢোলবিৰি আৰু জোনবিৰি ডাল তাইক এবাৰ জন্মদিনত দেউতাকে দিয়া। লগতে কাণৰ থুৰীয়া যোৰো। গোটেইবোৰ পিন্ধাৰ পাছত মুখত অলপকৈ প্ৰসাধন সানি সন্ধ্যা সঁচাই দেখাত বৰ মৰম লগাজনী হৈছিল। চকুত পাতলকৈ কাজল সানি লৈছিল তাই নিজেই, লগতে ওঁঠত ৰঙা বোল। নিমিষাই খোপাটো বান্ধিছিল। উকা খোপাটো বান্ধোতে নিমিষাৰো চকুযোৰ সেমেকি উঠিছে। সন্ধ্যাইও বাৰে বাৰে দুৱাৰ মুখলৈ চাইছে। কিজানি প্ৰিয়াই কিবা আনেই। কিন্তু নাই, তাই ভবাৰ বিপৰীতে উকা হাতেৰে উলটি আহিল প্ৰিয়া। এই সময়ত কোনো ছোৱালীয়েই নিজৰ বস্তু দিবলৈ সাজু নহয়। দিবও নো কিয়? বিহুৰ আখৰাৰ পৰাই এপদ দুপদকৈ বস্তু গোটাই সকলোৱে। সেয়া এতিয়া বেলেগলৈ দিব নে? প্ৰিয়াই ৰঙা জবা এপাহকে মূৰত গুজিবলৈ কৈছিল। কিন্তু সন্ধ্যাই গহীনাই ক'লে,

"নালাগে। মই খালী খোপাৰেই নাচিম।"

শেষত "ভালকে নাচিবি" বুলি কৈ প্ৰিয়াহঁত ওলাই গৈছিল। নিমিষা আৰু পৰীও নিজৰ নিজৰ হোষ্টেল পালেগৈ। সন্ধ্যাই ৰুমতে থাকি শেষ আশা বুলি অভিমন্যুলৈ ফোন

Kaushik

লগালে। নাই, ৰিং হৈ হৈ কাটি গ'ল। তাই জানে, অভিমন্যু বিহুৰ ল'ৰাবোৰৰ লগতে ব্যস্ত হৈ আছে চাগৈ। গতিকে ফোন ক'ত পেলাইছে ঠিক নাই। অলপ সময় ৰুমতে বহি আছিল তাই। বিদিশা বাক ফোন কৰিব নেকি? নাই, লাভ নহ'ব। বাহঁত এনেই ব্যস্ত হৈ আছে। গতিকে তাইৰ কথাত বেছি চিন্তাহে কৰিব। আৰু এতিয়া কৰিব পৰাও নো কি আছে? ইউনিভাৰ্চিটীৰ ভিতৰত এখনো কপৌ ফুলৰ দোকান নাই। গতিকে খালী খোপাৰে নচাৰ বাহিৰে উপায় নাই তাইৰ। এনেতে হঠাৎ ৰুমৰ দুৱাৰখন ধমকৈ খুলি কোনোবা সোমাই আহিল। বিহুৰ মুগা সাজ পিন্ধি অহা ছোৱালী জনীয়ে মুখখন বগা কাপোৰ এখনেৰে ঢাকি আহিছে। ৰুমত সোমায়েই তাই দুৱাৰখনৰ হুকটো ভিতৰৰ পৰা লগাই দিলে। সন্ধ্যা ঘপকৈ থিয় হ'ল। প্ৰায় চিঞৰাৰ দৰেই ক'লে,

"কোন? কি কৰিছা এইবোৰ?"

ছোৱালীজনীয়ে তেতিয়া হে ঘূৰি লৈ মুখৰ পৰা বগা চাদৰৰ উৰণিখন গুচালে। সন্ধ্যা আচৰিত হ'ল,

"জুৰি? তই?"

মুখত আঙুলি দি মনে মনে থাকিবলৈ কৈ জুৰিয়ে ক'লে,

"মনে মনে থাক। কোনেও গম নোপোৱাকৈ আহিছোঁ। হোষ্টেলৰ ছিনিয়ৰে গম পালে কলিজা খাব মোৰ।"

"কিন্তু হ'ল কি তোৰ? এনেকৈ চোৰৰ নিচিনাকৈ আহিছ যে?" সন্ধ্যাই একো বুজা নাছিল সঁচাকৈ। অলপ পাছতে বিহু আৰম্ভ হ'ব। কমিউনিটী হললৈ নগৈ এইজনী সোৱণশিৰী পালেহি যে? তাকো এনেকৈ! জুৰিয়ে মেখেলাৰ খোঁচনিৰ পৰা তাইৰ গগণাটো উলিয়াই সন্ধ্যাৰ হাতত দি ক'লে,

"এইটো ল। নিমিষাই ক'লে তোৰ হেনো গগণাটো কোনোবাই ভাঙিলে। মোৰটোৱেই ল। আমাৰ পাল তহঁতৰ ঠিক পিছতে আছে। ষ্টেজৰ পৰা নামোঁতেই গ্ৰীণ ৰুমতে মোক দি দিবি।"

কান্দোঁ কান্দোঁ লাগিছিল সন্ধ্যাৰ। এনেকুৱা মৰমিয়াল কোনোবাই থাকিব পাৰে নে আজিৰ স্বাৰ্থপৰ পৃথিৱীত? অলপ আগলৈকে তাই ইয়াৰ মানুহবোৰৰ বেয়া স্বভাৱৰ কথা ভাবি আছিল। কিন্তু জুৰিয়ে প্ৰমাণ কৰিলে, আচলতে গছবোৰৰ বাবে নহয়। এই

Kaushik

সুন্দৰ মনৰ মানুহবোৰৰ বাবেহে যেন ইউনিভাৰ্চিটী খন সেউজীয়া। সন্ধ্যাই থৰ হৈ ৰৈ থকা দেখি জুৰিয়ে আকৌ ক'লে,

"ঐ, কি ভাবি আছ এইজনী। ল আকৌ এইটো। কাকো নক'বি কিন্তু। বেলেগ হোষ্টেলৰ ছোৱালীক হেল্প কৰা বুলি গম পালে ছিনিয়ৰে দিব মোক। কপৌপাহো দিব পাৰিলোঁ হয়। কিন্তু তহঁতৰ পাছতেই আমাৰ। আৰু মোৰ চুলি গালতো জানই খোপা বান্ধিবলৈ কিমান কষ্ট।"

সন্ধ্যাই সাৱটি ধৰিছিল জুৰিক। থোকা থুকি হৈছিল তাইৰ মাতটো,

"বুকুখনত ইমান মৰম কেনেকৈ লৈ ফুৰ অ' তই? কি ক'ম তোক মই।"

"তই আমাৰ সকলোৰে মৰমৰ সন্ধ্যা। তোক এইদৰে ষ্টেজত উঠি বেলেগক হাঁহিবলৈ সুযোগ নিদিওঁ আমি।" জুৰিয়ে দিয়া গগণাটো হাত পাতি ল'লে সন্ধ্যাই। তাই যাবলৈ ওলাল,

"যাওঁ দে। কোনোবাই দেখিলে বেয়া হ'ব। নিমিষা নহ'লে সীমাকে দিবলৈ পঠালোঁ হেঁতেন। কিন্তু সিহঁত গ'লেই কমিউনিটী হললে।"

মুখত আকৌ বগা চাদৰখন লৈ ৰুমৰ পৰা ওলাই গ'ল জুৰি। সন্ধ্যাই চাই ৰৈছিল তাইলৈ। এই মানুহবোৰৰ বাবেই বন্ধুত্ব নামৰ শব্দটো আজিও আটাইতকৈ মূল্যৱান হৈ আছে। মনটো অলপ ফৰকাল লাগিল সন্ধ্যাৰ। হওঁক তেও। গগণাটো অন্ততঃ বজাব পাৰিব তাই। কপৌ ফুল নথকাৰ বাবে নম্বৰ কাটিব বিচাৰকে। হয়তো শ্ৰেষ্ঠ বিহুৱতীও নহ'ব তাই। নালাগে পুৰস্কাৰ। এই যে মৰমবোৰেৰে তাই জুৰিহঁতৰ দৰে বান্ধৱীৰ হৃদয় জিনি থৈছে, সেয়াও জানো পুৰস্কাৰতকৈ কম। মৰমৰ স্বীকৃতিতকৈ ডাঙৰ পুৰস্কাৰ আৰু কি হ'ব পাৰে।

সন্ধ্যাৰ ফোনটো বাজিল। বিদিশাই কৰিছে,

"ঐ, আহ আকৌ। অলপ পাছতে জাজ আহিলেই আৰম্ভ হ'বই। বাকী চব ছোৱালী আহিলে।"

বিদিশাৰ মাতটো শুনি আকৌ শোকটোৱে খুন্দা মাৰিছিল সন্ধ্যাক। তাইৰ উকা খোপাটো দেখি কি ক'ব বাৰু বায়ে? উপায় নাই। "গৈ আছোঁ" বুলি ফোনটো থৈ হোষ্টেলৰ পৰা ওলাল তাই। কংকনাহঁত অথনিয়ে গৈ পালেগৈ। ওলাই হোৱা নাছিল

Kaushik

বাবে সন্ধ্যায়ে সিহঁতক গৈ থাকিবলৈ কৈছিল। সোৱণশিৰীৰ পৰা নামি আহোঁতে ছিকিউৰিটী মাহীয়ে ক'লে,

"ভালকে নাচিবি দেই মাজনী।"

মাহীলৈ হাঁহি এটাৰে সঁহাৰি জনাই আগবাঢ়িল সন্ধ্যা। মনটো সেমেকিও গৈছিল অলপ। মাহীহঁতেও আশা কৰি আছে, তাই পুৰস্কাৰ পাবই। কিন্তু...। হুঁমুনিয়াহ পেলাই কমিউনিটী হলৰ ফালে খোজ ল'লে সন্ধ্যাই। এনেতে পিছফালৰ পৰা কোনোবাই মাতিলে,

"ওলালা নি বিহুলৈ?"

ঘূৰি চাই দেখে চাইকেলত অনুৰণ।

"উমম, যাওঁ আৰু।" সৰু মাতেৰে সন্ধ্যাই ক'লে।

"কি হ'ল মনটো বেয়া চোন।"

অনুৰণক কৈছিল তাই গোটেইখিনি। কপৌপাহ নোহোৱাকৈ কিমান যে অশুৱনি লাগিছিল খোপাটো তাকো দেখুৱাইছিল।

"কিমান সময় আছে তোমালোকৰ বিহুলৈ?"

অনুৰণে সুধিলে।

"প্ৰথম দলটো উঠিবলৈ আৰু আধা ঘন্টা মান আছে। অৱশ্যে জাজ আহি পোৱাই নাই হেনো। আমাৰ চেকেণ্ড আছে।"

সন্ধ্যাই ক'লে।

"হ'ব দিয়া, যোৱা।" বুলি চাইকেলখন ঘূৰাই পাটকাইৰ ফালে খৰকৈ গৈছিল গৈ অনুৰণ। সন্ধ্যাও কমিউনিটী হলৰ ফালে বাট ল'লে।

তেজপুৰ বিশ্ববিদ্যালয়ৰ কমিউনিটী হল। জেনেৰেল ফ্ৰেচাৰ্চৰ পৰা আদি কৰি স্প্ৰিং ফেষ্ট, কণ্ডোলেনচ আদিলৈকে সকলো অনুষ্ঠানৰ একমাত্ৰ স্থান। কত তেজাল ডেকা গাভৰুৰ চিঞৰ, কত হোষ্টেলৰ নামৰ উকি, কত প্ৰতিভাৰ সাক্ষী হৈ এটি জীয়া গল্প হৈ থিয় দি আছে এই হলটোৱে। Techxetraৰ ডি জে নাইট, বলিউদৰ শিল্পীৰ

Kaushik

সংগীতানুষ্ঠান, কে বি আৰৰ নাটক নাইবা জেনেৰেল ফ্ৰেচাৰ্হ্‌ৰ কালচাৰেল নাইট সকলোবোৰ একলগ কৰিলেও এই ইন্টাৰ হোষ্টেল বিহু কম্পিটিচনৰ সমান উচ্ছাস তেজীয়ানৰ বাবে আন ক'তো নাই। অকল ইউনিভাৰ্চিটীৰ শিক্ষাৰ্থীয়েই নহয়, কি প্ৰফেচৰ, কি কেৰাণী, কি ছিকিউৰিটী, কি ৰান্ধনি কোনো বাদ নপৰে এই বিহু হুঁচৰি প্ৰতিযোগিতাৰ দৰ্শকত। ভৰি দিব নোৱাৰাকৈ ভিৰ হয় কমিউনিটী হলত। চাৰিওফালে চিঞৰ। ঢোলৰ গোমগোমনি। দেহত যেন পিৰপিৰণি। প্ৰতিখন হোষ্টেলৰ নিচান উৰাই থাকে আৱাসী সকলে। অসমীয়া খিনিৰ কথা বাৰু নকওঁৱেই, অনা অসমীয়া খিনিয়েও ঢোলৰ চেঁৱত কঁকাল নুঘূৰোৱাকৈ থাকিব নোৱাৰে। গোটেই বছৰটো ৰুমত সোমাই থকাজনেও বিহু হুঁচৰি প্ৰতিযোগিতাৰ দিনটোত কমিউনিটী হললৈ এপাক মাৰিবই। মুঠতে এক কথাত ক'বলৈ গ'লে তেজপুৰ বিশ্ববিদ্যালয়ৰ বিহু হুঁচৰি প্ৰতিযোগিতাৰ দিনা কমিউনিটী হললৈ যেন বসন্ত অহাৰ আগতেই বহাগ আহে।

সন্ধ্যা গৈ পাই মানে এজন বিচাৰক আহিবলৈ বাকীয়েই আছিল। বাহিৰৰ কোনোবা মাতিছিল বাবে অলপ পলম হৈছিল। কিন্তু হলটো ভৰি পৰিছিল মানুহে। সমুখত বিচাৰক দুখন আসন। তাৰ পাছতেই কেইশাৰীমান চকী। তাতেই প্ৰফেচৰ সকল পৰিয়ালৰ লগত বহিছে। তাৰ পাছৰ পৰাই গোটেই ষ্টুডেন্টবোৰে থিয় হৈ চিঞৰি আছে। বিহু আৰম্ভ হোৱাৰ আগতেই আৰম্ভ হৈয়ে গ'ল হোষ্টেলৰ শ্লোগান,

Kaushik

"KMH rules"

"NMH rock"

"প্ৰাগ-জ্যো-তি-কা"

"C for CMH"

"পাটকাই পাটকাই"

"কপিলী জুই" ইত্যাদি ইত্যাদি।

এখোজ দুখোজকৈ সন্ধ্যা গৈ গ্ৰীণ ৰুম পালেগৈ। সোমায়েই চন্দ্ৰালী বাক দেখিলে তাই। কাৰোবাৰ লগত হাঁহি হাঁহি কথি পাতি আছে। হাতত মাইকটো। বিহুৰ পৰা নাটকলৈকে তেজপুৰ বিশ্ববিদ্যালয়ৰ সকলোৰে প্ৰিয় ঘোষিকা চন্দ্ৰালী। কাৰণ, তাইৰ মৰমসনা মাতটো আৰু মুখত তিলটোৰ সৈতে অনবৰতে লাগি থকা হাঁহিটো। ৰঙা মেখেলা আৰু ৰঙা ব্লাউজেৰে মুগাৰ চাদৰ এখন লৈছিল চন্দ্ৰালীয়ে। আঁচলটো মেলি লোৱা নাই যদিও অলপ বহলাই লৈছে। চাদৰ খন দহি বটা। লগতে সৰু সৰু ৰঙা

আৰু সেউজীয়া ফুল। চন্দ্ৰালী বা নিজেও এপাহ ফুলতকৈ কম জানো? যাক দেখিলেই মনটোত এক প্ৰশান্তি বিয়পি তেওঁক ফুল নকৈ আৰু কি ক'ব? সন্ধ্যাক দেখিয়ে আগুৱাই আহি মাত লগালে চন্দ্ৰালীয়ে,

"ইমান মৰম লাগিছে ছোৱালীজনীক।"

"তোমাক বেছি ধুনীয়া লাগিছে বা।" সন্ধ্যাইও এমোকোৰা হাঁহিৰে ক'লে।

"থোৱা হে, মই বুঢ়ী হ'লো এতিয়া। যাওঁ মই, ভালকৈ নাচিবা দেই সন্ধ্যা। শুভেচ্ছা থাকিল।"

চন্দ্ৰালী আঁতৰি গ'ল। মনটো এনেই কিবা ভাল লাগিল সন্ধ্যাৰ। "All the best" ৰ দিনত "শুভেচ্ছা থাকিল" বুলি কোৱা এই চন্দ্ৰালীৰ পক্ষেই সম্ভৱ কিজানি। তাই যোৱাৰ পাছতে গ্ৰীণ ৰুমটোত চকু ফুৰালে সন্ধ্যাই। কোনোবাই ফটো উঠিছে। কোনোবাই নিজৰ মাজতে কথা পাতিছে। সন্ধ্যাই সিহঁতৰ গ্ৰুপৰ সকলোকে দেখিলে। তাইক বিহু শিকোৱা বেদান্ত দাৰ কাষলৈ গৈ এবাৰ ভৰি চুই সেঁৱা কৰিলে। বেদা দাই পিছুৱাই ক'লে,

"ঐ, এইবোৰ কৰিব নাপাই পাগলী। তোৰ কঁকালত যাদু আছে। যি হ'ল হ'লেই। পূৰা মন খুলি নাচিবি। ৰিজাল্ট যিয়ে নহওঁক, তোৰ নাচ গোটেই ইউনিভাৰ্চিটীয়ে মনত ৰাখিব চাবি।"

বেদান্তই সন্ধ্যাৰ কপৌ ফুলৰ কথা গম পাইছিল ইতিমধ্যে। আন বহুতৰ দৰে সিও আশা কৰি আছিল, সন্ধ্যা শ্ৰেষ্ঠ বিহুৱতী হওঁক। কিন্তু নাই, ভাগ্যতে নাই কিজানি। কথাটো বিদিশা আৰু ৰীণা বাৰ কাণতো পৰিছিল। দুয়োজনী আহি সন্ধ্যাৰ ওচৰ পাইছিলহি। সন্ধ্যাৰ উকা খোপাটো দেখি চকুপানী ওলাইছিল বিদিশাৰ। ৰীণাই দাঁত কৰছি কৈছিল,

"ভাৰ্চিটী উইক গৈ লওঁক। এজনী এজনী ছোৱালীৰ বিচাৰ কৰিম। কোন ইমান বদমাছ আছে।" মনটো আকৌ গধূৰ হৈ পৰিছিল সন্ধ্যাৰ। সময় পাৰ হৈছিল। প্ৰায় আধা ঘণ্টা মানৰ পাছত বিচাৰক আহি পালে। তাৰ লগে লগেই মঞ্চত চন্দ্ৰালীৰ ঘোষণা,

"বিহু হুঁচৰি প্ৰতিযোগিতাৰ এই সুন্দৰ সন্ধিয়াটিলৈ মই চন্দ্ৰালী শৰ্মাই আপোনালোক সকলোকে জনাইছোঁ নমস্কাৰ আৰু স্বাগতম।"

Kaushik

সন্ধ্যাই দূৰৰ পৰাও দেখিছিল, তিলটো জিলিকি আছিল চন্দ্ৰা বাৰ। বিচাৰকৰ চিনাকিৰ পাছতে মঞ্চত উঠিছিল বিহুৰ প্ৰথমটি দল নীলাচল আৰু নিউ ৱমেনচ। NMH rocks চিঞৰত কঁপি উঠিছিল চৌহদ। গোটেই হোষ্টেল উঠি আহিছে সিহঁতৰ। সন্ধ্যাই মঞ্চৰ কাষতে ৰৈ চাই আছিল। পোন্ধৰ, বিছ মিনিট মান চলিছিল সিহঁতৰ বিহু। প্ৰায় শেষ হওঁ হওঁ হৈছিলেই। এনেতে কংকনাই আহি সন্ধ্যাক ক'লে,

"ঐ, তোক কোনোবা ল'ৰা এটাই বিচাৰি আছে। হলৰ পিছফালে ষ্টেপকেইটাৰ ওচৰতে ৰৈ আছে।"

সন্ধ্যাই গম পাইছে, অভিমন্যু চাগে। সি তাইৰ মিছকল দেখিয়ে লগ কৰিবলৈ আহিল চাগে। সন্ধ্যাই মোবাইলটো এৰিয়ে আহিল হোষ্টেলতে। কিন্তু পিছফাললৈ গৈয়ে আচৰিত হৈছিল সন্ধ্যা। কাৰণ ষ্টেপৰ কাষৰ গছজোপাৰ তলতে ৰৈ আছিল অনুৰণ।

"তুমি?"

ঘামেৰে ভিজি আছিল অনুৰণ। কঁপালৰ পৰা ঘাম এটোপ দুটোপ পৰিয়ে আছে। ফোঁপাই জোপাই ভাগৰুৱা মাতেৰে সি ক'লে,

"লোৱা এইপাহ।"

সন্ধ্যালৈ আগবঢ়াই দিছিল এপাহ কপৌফুল। চকুকেইটা জিলিকি উঠিছিল তাইৰ। আনন্দত চিঞৰি উঠিছিল,

"ক'ত পালা? আৰু ইমান এনেকে ফোঁপাই আছা যে মানুহটো।"

ফোঁপনিৰ মাজেৰেই সেহাই সেহাই অনুৰণে ক'লে,

"টাউন গৈছিলোঁ। দেৱা দাৰ বাইক লৈ গ'লোঁ। আহি লৈ ইউনিভাৰ্চিটী গেটৰ কাষৰ সেই মন্দিৰটোৰ সমুখতেই তেল শেষ হৈ ৰৈ গ'ল। দেৱা দাক মাতি বাইকখন দি তাৰ পৰা দৌৰি আহিছোঁ। তোমালোকৰ হৈ যোৱা নাইতো?"

"নাই নাই। ইয়াৰ পাছতহে আছে।"

সন্ধ্যা যেন ফুৰ্তিত ক'ব নোৱাৰা হৈছিল। অৱশেষত গগণা আৰু কপৌফুলেৰে তাইও সম্পূৰ্ণ নাচনী হ'ল। বিহুৱতী পুৰস্কাৰৰ সপোনটো আকৌ ভাঁহিছিল চকুত। কিন্তু আজি বিহুৱতী নহ'লেও তাইৰ কোনো আক্ষেপ নাই। জুৰিৰ গগণা আৰু অনুৰণে আনি দিয়া ফুলপাহতকৈ বিহুৱতীৰ পুৰস্কাৰটো তাইৰ বাবে মূল্যৱান নহয়। অনুৰণলৈ চাইছিল

Kaushik

তাই। তাৰ দৰে এজন বন্ধু সকলোৰেই জীৱনত থাকিলে পৃথিৱীত কেতিয়াও অকলশৰীয়া নহয় কোনো মানুহ। সন্ধ্যাৰ হাঁহিৰ জিলিকনি যেন অনুৰণৰ মুখতো হাঁহি হৈ ওলাইছিল।

"এতিয়া মঞ্চলৈ আমন্ত্ৰণ জনাইছোঁ পাটকাই ছাত্ৰৱাস আৰু সোৱণশিৰী ছাত্ৰী নিৱাস।"

ঘোষণা কৰিলেই। সকলো সাজু হ'লেই। প্ৰথমে অৱশ্যে ল'ৰাবোৰৰ হুঁচৰি হে হ'ব। তাৰ পাছত নাচি নাচি ছোৱালীথিনিৰ প্ৰৱেশ। ছেহ, কাক কয় এতিয়া সন্ধ্যাই ফুলপাহ আঁৰি দিবলৈ। ইফালে সিফালে চাই থাকোঁতেই অনুৰণে ক'লে,

"চাওঁ ঘূৰা।"

সন্ধ্যা তাৰ ফালে পিঠি দি ঘূৰিলে। অনুৰণে খুব সাৱধানেৰে সন্ধ্যাৰ খোপাৰ দুই তিনিডাল ক্লিপ আৰু গেজেং খুলি বান্ধি দিলে কপৌফুল পাহ। তাৰ পাছত আকৌ গেজেং কেইডাল গুজি দি ক্লিপ কেইডালো মাৰি দিলে। সন্ধ্যাই দুবাৰ মান খোপাটো লৰাই চালে। নাই, একদম পূৰা থাপ খোৱাইকৈ লগাই দিছে অনুৰণে। ৱাহ, এখেতে এইবোৰো জানে চোন। চকুত দুষ্ট হাঁহিৰে তাই ক'লে,

"চব জানে ঔ আমাৰ ল'ৰাই।"

"হ'ব, এতিয়া জোকাব নালাগে। যোৱা ভালকৈ নাচিবা।"

হাঁহি এটা মাৰি সন্ধ্যা ভিতৰলৈ সোমাই গ'ল। যাওঁতে এবাৰ ঘূৰি চাইছিল তালৈ। সোঁহাতটো মুঠি মাৰি বুঢ়া আঙুলিটো থিয় কৰি দাঙি দেখুৱাইছিল সি। তাই ভিতৰলৈ গৈছিল এটা প্ৰস্ফুটিত মন লৈ। সেই আগৰ ৰাংঢালী সন্ধ্যাজনী হৈ।

Kaushik

মঞ্চত সোৱণশিৰীৰ বিহু যদিও মনটো বৰ ভাল হৈ থকা নাছিল বিদিশা, ৰীণাৰ লগতে বহু কেইজনী ছোৱালীৰ। ইমান আশা কৰা আছিল সন্ধ্যাৰ ওপৰত। কিন্তু কপৌফুল নোহোৱা নাচনীক ক'ত দিব বিহুৱতীৰ সন্মান। মঞ্চত বিহু হুঁচৰি আৰম্ভ হৈছিল। পাটকাইৰ বিহুত পাৰ্মানেন্ট গৃহস্থৰ ভূমিকা পালন কৰা দেৱাশীষ আৰু সোৱণশিৰীৰ মনীষাই আদৰি আনিছিল হুঁচৰিক। বেদান্তই গাই গৈছিল,

"হুঁচৰি এ চ'ত,

আমি বিহু মাৰোঁ য'ত,

দেহি ঐ দূৰৰি নগজে ত'ত"

হুঁচৰি শেষ হোৱাৰ পাছতে মঞ্চলৈ নাচি নাচি সোমাই আহিছিল নাচনীৰ দল। সকলোৰে আগত সন্ধ্যা। খোপাত কপৌফুল আৰু লগতে গগণা। দৰ্শকৰ শাৰীত বহি থকা ৰীণা, বিদিশাহঁতে চিঞৰত গগণ ফালি দিছিল,

"বঢ়িয়া সন-----ধ্যা----আআ"

ফুৰ্তিত কান্দি দিছিল দীপা বাই। অৱশেষত তাই মেনেজ যে কৰিলে। প্ৰিয়া, নিমিষা লগতে পৰীও আচৰিত হৈছিল। ক'ত পালে সন্ধ্যাই গগণা আৰু কপৌফুল। বেদান্ত দাই আৰম্ভ কৰিছিল,

"বৰষা পথাৰত অ' ভনীটি ৰহেদৈ....."

সন্ধ্যাইও তাৰ পাছতে প্ৰাণ ঢালি গাইছিল,

"বৰষা পথাৰত অ' মোৰে সোণ চেনাই ঐ,

হালে বাই আছিলা এহালি দমৰা লৈ,

চাহ দিব গৈছিলোঁ অ' মোৰে সোণ চেনাই ঐ,

লাৱনি ওঁঠতে মিচিকিয়া হাঁহি লৈ..

আমাৰে ঐ ঘৰতে,

মোৰেনো ঐ কাৰণে,

হালোৱা ঐ স্বৰূপে,

আছানো অতদিনে,

সঁচাকৈ কৈছোঁ অ' মোৰে সোণ চেনাই ঐ,

যামেগৈ তোমাৰে জীৱন সংগী হ'বলৈ"

কি পাটকাই, কি নীলাচল, কি সোৱণশিৰী, কি ধনশিৰী সকলোৱে বলিয়াৰ দৰে নাচিছিল সন্ধ্যা আৰু বেদান্তৰ বিহুত। কাঞ্চনৰ চহৰখনেও যেন নাচি উঠিছিল। প্ৰতিজোপা নাহৰ, প্ৰতি পাহ কাঞ্চনেও যেন লহৰ তুলিছিল। মুখত মিচিকিয়া হাঁহিৰে হালি জালি নচা সন্ধ্যালৈ যেন চালে চকু আঁতৰাব পৰা নাছিল কোনেও। গগণাও

Kaushik

বজাইছিল তাই সুন্দৰকৈ। নাচি থকাৰ মাজতে তলত সোৱণশিৰীৰ নিচানখন দেখি যেন আৰু দুগুণ উছাহ আহিছিল তাইলৈ। অভিমন্যুয়েও পাগলৰ দৰে নাচিছিল তলত গোটেই পাটকাইৰ ল'ৰাখিনিৰ লগত। সেইদৰেই সকলোৰে চিঞৰ আৰু উকিৰ মাজত সামৰিছিল সন্ধ্যাহঁতে বিহু। মঞ্চৰ পৰা নামি যাওঁতেই কাষতে ৰৈ থকা জুৰিৰ হাতত গগণাটো গুজি দিবলৈ পাহৰা নাছিল সন্ধ্যাই।

গ্ৰীণ ৰুমত তাইক সাৱটি ধৰিছিল হি ৰীণা বাহঁতে,

"সন্ধ্যা, কি ধুনীয়া নাচিছ তই। গোটেই মানুহৰ মাজত অকল তোৰেই কথা।"

সন্ধ্যাহঁতৰ পাছতেই জুৰিহঁতৰ। জুৰি আৰু মেঘালীহঁতেও নাচেৰে কমিউনিটী হল কঁপাইছিল। তাৰ পাছতে বাকীবোৰ হোষ্টেল। যেন ইটোতকৈ সিটো চৰা। মানুহৰ মাজত কথা হৈছিল, কোন বা জিকে। সকলোৱেই ইমান ধুনীয়া নাচিছে। প্ৰায় আঠমান বজাত শেষ হৈছিল বিহু। এই ৰিজাল্টৰ সময়খিনিয়েই কি কৰোঁ কি নকৰোঁ লাগে সকলোৰে। তেতিয়ালৈ হলটো খালী হৈছিল যদিও বহুখিনি মানুহ ৰিজাল্ট শুনিবলৈ ৰৈ আছিল তাতেই। বিচাৰকে মঞ্চত উঠি ঘোষণা কৰিছিল ৰিজাল্ট,

"তৃতীয় স্থান পাইছে, নীলাচল আৰু নিউ ৱমেনচ"

নীলাচলৰ গোটেই ল'ৰাবোৰে যেন জঁপিয়াইহে উঠিছিল। কিছু কিছু অৱশ্যে হতাশো হৈছিল। হয়তো আৰু আশা আছিল সিহঁতৰ। পুনৰ ঘোষণা,

"দ্বিতীয় স্থানত আছে শৰাইঘাট, বৰদৈচিলা আৰু ধনশিৰী"

লগে লগেই এজাক ল'ৰা ছোৱালীৰ চিঞৰ।

"আগুৱাই যাম বহু বাট,

শৰাইঘাট শৰাইঘাট"

সন্ধ্যাহঁতৰ বুকু থক থকৈ কঁপিছিল। ইমান দিনৰ কষ্ট, প্ৰচেষ্টা আদিয়ে স্বীকৃতি নাপাব নেকি বাৰু? বিচাৰকে ঘোষণা কৰিছিল,

"এইবাৰ ঘোষণা কৰিবলৈ লৈছোঁ এইবছৰৰ বিহু হুঁচৰি প্ৰতিযোগিতাৰ সৰ্বশ্ৰেষ্ঠ বিহু দল...."

Kaushik

উফ, ইমান চাচপেঞ্চ কিয় দিয়ে বাৰু? বুকুৰ শব্দ আহি কাণত পৰিছিল সন্ধ্যাৰ। হাতখন জোৰেৰে ধৰি আছিল কংকনাই। বেচেৰীও কঁপিয়ে আছে। এনেতে বিচাৰকৰ ঘোষণা,

"প্ৰথম স্থানেৰে সৰ্ব শ্ৰেষ্ঠ বিহুৱা দলৰ সন্মান লাভ কৰিছে, পাটকাই ছাত্ৰনিৱাস আৰু সোৱণশিৰী ছাত্ৰীনিৱাসে"

কংকনাক সাৱটি ধৰি চিঞৰ মাৰি জঁপিয়াই উঠিছিল সন্ধ্যাই। বেদান্ত দাই কান্দি পেলাইছিল। দ্বীপে কোঁচত দাঙি লৈছিল তাক। চাৰিওফালে পাটকাই আৰু সোৱণশিৰীৰ জয়জয়কাৰ। বিদিশা বাই সন্ধ্যাক আঁকোৱালি ধৰি কান্দি পেলাইছিল। সন্ধ্যাৰো চকুপানী ওলাইছিল। হওঁক তেও, সিহঁতৰ কষ্ট সাৰ্থক হ'ল। এতিয়া তাই বিহুৱতী পুৰস্কাৰ নাপালেও নাই। দলটোতো জিকিল।

এইবাৰ বিচাৰকে আকৌ ঘোষণা কৰিছিল,

"এই বৰ্ষৰ শ্ৰেষ্ঠ বিহুৱা কাঞ্চনজংঘাৰ বিদ্যুৎ চেতিয়া।"

লগে লগেই ইমান সময়ে মনে মনে থকা কাঞ্চনজংঘাও যেন সাৰ পাইছিল। যদিও দলীয় পুৰস্কাৰৰ ফুৰ্তি বেছি তথাপি কাঞ্চনজংঘাৰ ল'ৰাবোৰে ডাংকোলাকৈ লৈ গৈছিল বিদ্যুৎ নামৰ ল'ৰাজনক।

মঞ্চত বিচাৰকৰ পুনৰ ঘোষণা,

"এইবাৰ ঘোষণা কৰিছোঁ, এইবৰ্ষৰ শ্ৰেষ্ঠ বিহুৱতী।"

বিদিশাই আহি সন্ধ্যাৰ থকা হাতখনত ধৰিছিল। নাই, সন্ধ্যাৰ অলপো ভয় লগা নাই। পুৰস্কাৰতো তাই তেতিয়াই পালে যেতিয়া জুৰিয়ে নিজৰ গগণাটো তাইৰ হাতত তুলি দিছিল, যেতিয়া অনুৰণে কপৌ পাহ তাইৰ খোপাত গুজি দিছিল। বেদান্তহঁতৰ লগতে গোটেই দলটোৱে কাণ উনাই শুনিবলৈ ৰৈছিল। ঘোষণা হৈছিল,

"সোৱণশিৰীৰ সন্ধ্যা ৰাগিণী বৰুৱা।"

"Yaaaaaahuuuuu"

বিদিশা যেন জঁপিয়াই সন্ধ্যাৰ পিঠিতে উঠিছিল। ৰীণাই দৌৰি আহি সাৱটি ধৰিছিল তাইক। বেদান্ত দাইও মৰমেৰে আঁকোৱালি লৈছিল। চকুপানী বৈ আহিছিল সন্ধ্যাৰ। গোটেই কমিউনিটী হল কঁপাই চিঞৰিছিল সিহঁতে,

Kaushik

"পেপচি কোলা ললিপপ,

সোৱণশিৰী অন দা টপ।"

সকলোৱে জুমুৰি দি বেৰি ধৰিছিল সন্ধ্যাক। তাৰ মাজতেই তাই দেখিছিল। কমিউনিটী হলৰ একেবাৰে মূৰৰ সোঁফালৰ খুটাটোত আঁউজি তাইৰ ফালে চাই ৰৈ আছে অনুৰণ। সন্ধ্যাই সকলোকে এৰি দৌৰিছিল তাৰ ফালে। তাইৰ এই বিজয়ৰ একমাত্ৰ কাৰণ সি। হয়তো আৱেগত তাই অনুৰণক সাৱটিয়ে ধৰিলে হেঁতেন, এনেতে ক'ৰবাৰ পৰা পাটকাইৰ এগাল মান ল'ৰাই বেৰি ধৰিছিল তাইক। কেনিও কাৰো মাত নুশুনা অৱস্থা। ফুৰ্তিত তৎ নাই কাৰো। তাৰ মাজতেই অভিমন্যুয়ে কোঁচত দাংকোলাকৈ দাঙি লৈছিল সন্ধ্যাক পথালি কোলাত। লগে লগেই চিঞৰ বোৰে যেন নতুন প্ৰাণ পাইছিল। অভিমন্যুয়ে সন্ধ্যাক কোঁচত লৈ ফিল্ডৰ ফালে গৈছিল। গোটেই ফিল্ডখন সোৱণশিৰী আৰু পাটকাইৰ আৱাসীয়ে ভৰি পৰিছিল। যেন এক আনন্দ উছৱৰ আয়োজন। সন্ধ্যাই এবাৰ উভতি চাইছিল। ভিৰৰ মাজত হেৰাই গৈছিল অনুৰণ।

চিঞৰ বাখৰ, নাচ বাগ, শুভেচ্ছাবাণী সকলোৰে অন্তত গা ধুই ভাত খাই সোৱণশিৰীত নিজৰ ৰুমৰ বিচনাত গাটো অলস ভাৱে এৰি দিছিল সন্ধ্যাই। গোটেই মাহটোৰ ভাগৰ বোৰে যেন হেঁচি ধৰিছিল তাইক। কাষৰ বিচনাত পৰি বিদিশাইও মোবাইল পিটিকি আছে। সন্ধ্যাৰ ৰুমমেট হিচাপে তাইও গৰ্বিত আজি। আজি অকল সোৱণশিৰীতে নহয়, গোটেই ইউনিভাৰ্চিটীত গুঞ্জৰিত হৈছে সন্ধ্যা সন্ধ্যা নাম। ঘৰৰ পৰা মাকেও ফোন কৰিছিল সন্ধ্যাৰ। ৰিজাল্ট পাই ঘৰতো সকলোৰে ফুৰ্তি। অভিমন্যুতো ফুৰ্তিত পাগলৰ দৰে হৈ গৈছে। মোবাইল টিপাৰ পৰাই বিদিশাই তাইক ক'লে,

"দেখিছ সন্ধ্যা, ইমান হোৱাৰ পাছতো কেনেকৈ জিকি গ'লি তই। আচলতে কি জান? মানুহে যিটো কাম কৰিমেই বুলি অন্তৰৰ পৰা ভাৱে তাত সফল হয়েই।"

বিদিশাৰ কথাত শ্বাহৰুখ খানৰ Om Shanti Om লৈ মনত পৰি গৈছিল সন্ধ্যাৰ।

"Kisi cheez ko agar dil se chaho toh puri kaynaat tumhe usse milane ki sajish mei jut jati he"

কথাষাৰৰ প্ৰমাণ আজি পালে তাই। সঁচাকৈ কষ্ট আৰু সাধনাৰে কিবা এটা কাম কৰিলে কোনো বস্তুৱেই আমাক সফলতাৰ পৰা দূৰ কৰিব নোৱাৰে। সমস্যা আহিব

Kaushik

পাৰে, কিন্তু প্ৰকৃতিয়ে নিজেই যেন তাৰ সমাধানো উলিয়াই দিয়ে। প্ৰয়োজন মাত্ৰ দৃঢ়তা আৰু কৃচ্ছ সাধনাৰ।

এবাৰ হোৱাটচ এপটো অন কৰিলে সন্ধ্যাই। বিভিন্ন জনৰ পৰা অহা শুভেচ্ছাৰ মেচেজবোৰ পাৰ হৈ সেই বিশেষ নম্বৰৰ মেচেজটো উলিয়ালে তাই। হয়, অনুৰণে দিছিল। তাই জানে সি দিবই বুলি,

"Bhal nasa tumi"

তাইও লিখিলে,

"Thank you so much Ron, tumi nothoka hole ketiau nijikilu hoi moi"

অলপ পাছতেই আহিল অনুৰণৰ চিনাকি মেচেজটো। যিটোত চকু মুদি ভৰষা কৰি ল'ব পাৰে সন্ধ্যাই। যিয়ে গোটেই পৃথিৱী জয়ৰ শক্তি দিয়ে সন্ধ্যাক। অনুৰণে দিছিল,

"Asu tu moi"

এক অনাবিল প্ৰশান্তিত চকু মুদি দিছিল সন্ধ্যাই। কাষৰ বিচনাত বিদিশাই গুণগুণাই আছিল সন্ধ্যাহঁতৰ বিহুৰ কলিটো,

"সঁচাকৈ কৈছোঁ অ' মোৰে সোণ চেনাই ঐ,

যামেগৈ তোমাৰে জীৱন সংগী হ'বলৈ,

জীৱন সংগী হ'বলৈ মই...।"

(আগলৈ)

#নিৰিবিলি

Part 59

এটা এটাকৈ ভাৰ্চিটী উইকৰ প্ৰতিযোগিতাবোৰ শেষ হৈছিলগৈ যদিও আন দুটা বিশেষ প্ৰতিযোগিতা আছিল, মাৰ্চ পাষ্ট আৰু সাংস্কৃতিক শোভাযাত্ৰা। বিহুৰ পিছদিনা ৰাতিপুৱাই মাৰ্চ পাষ্ট। সন্ধ্যাৰ ভাগৰত টোপনিত লালকাল হৈ থকাৰ বাবে সোনকালে উঠি যোৱা বিদিশাই মতা নাছিল তাইক। মাৰ্চ পাষ্টৰ দায়িত্ব বিদিশাই নিজে মূৰ পাতি লৈছিল প্ৰথমৰ পৰাই। গা পা ধুই গোটেই ছোৱালীবোৰক সাজু কৰিবলৈ আছেই। সিদিনা নাটকত চেকেণ্ড, কালি বিহুত ফাৰ্ষ্ট, আজিও যদি কিবা এটা পাই, কি লাগে

আৰু। বিদিশাই ভাবিছিল সন্ধ্যা নাযাবই, পিছে তাই গা ধুই আহি দেখে শোৱাৰ পৰা উঠি সন্ধ্যাও বাথৰুম যাবলৈ ওলাইছে। আচৰিত হৈ বিদিশাই সুধিলে,

"তই উঠিলিয়ে যে?"

"অ আকৌ, মাৰ্চ পাষ্ট আৰম্ভ হ'বই এতিয়া। ছোৱালীবোৰক পানী চানি দিবলৈতো আমি কেইজনী মান থাকিব লাগিব। তুমি যোৱা, মই পটকৈ গাটো ধুই গৈ আছোঁ।"

কথাটো কৈয়ে বাল্টিটো লৈ বাথৰুম পালেগৈ সন্ধ্যা। বিদিশাই তাইৰ ফালেই চাই ৰ'ল। এই যে ছোৱালীজনী, কিমান কৰিছে প্ৰথমৰ পৰাই হোষ্টেল খনৰ বাবে। কাৰোবাৰ বেমাৰত অকলেই হস্পিতাললৈ নিছে, বিহু নাচি বৰ বিহুৱতীৰ খিতাপ আজুৰি আনিছে। তাৰ বিনিময়ত তাই পাইছে যদি অকল কষ্ট। কেতিয়াবা কোনোবাই ৰুমত লক কৰে, কেতিয়াবা কোনোবাই তাইৰ গগণা ভাঙি পেলায়। বিদিশাইও মন কৰিছে, কোনোবা যেন আছে যি সন্ধ্যাৰ বিপদ ঘটাবলৈকে সুযোগ বিচাৰি ফুৰে। এবাৰ যদি ধৰা পৰে !

"বিদি, তোৰ হ'ল নে?"

কথাবোৰ পাগুলি থাকোঁতেই ৰীণা সোমালহি। বিদিশাই মাৰ্চ পাষ্টৰ কাপোৰযোৰ পিন্ধি ল'লে। মূৰত সেই বিশেষ টুপীটো। যোৱা বছৰো কৰিছিল তাই। জিকা নাছিল যদিও এইবাৰো লাগিছে নতুন উদ্যমেৰে।

বাহিৰত কমন ৰুমত ছোৱালীবোৰ আহি গোট খাইছিলহি। ইমান দিনৰ প্ৰেকটিছ। আজি যেন পৰীক্ষাহে। সকলোৰে ভয় ভয়কৈ থকা মুখ কেইখন বিদিশাক দেখি উজলি উঠিছিল। আৰম্ভ হ'বৰ হৈছেই মাৰ্চ পাষ্ট। সকলোৰে শুভেচ্ছা লৈ দলটো আগবাঢ়িছিল। ফিল্ডত বিচাৰক আহি পাইছিলেই। সকলো সাজু হৈ আছিল। হুচেইল বাজিলেই আৰম্ভ হ'ব পেৰেড।

সন্ধ্যাই ৰীণাৰ লগ হৈ ছোৱালীবোৰৰ বাবে পানীৰ বটল আৰু সৰু Frooti ৰ পেকেট লৈ গৈছিল। ফিল্ডখনত নামি কেই খোজ মান যাওঁতেই হঠাৎ সন্ধ্যাৰ মোনাটোৰ পৰা Frooti পেকেট এটা থপিয়াই নিলে কোনোবাই। তাই ততেই ধৰিব নোৱাৰিলে। ঘূৰি চাওঁতেহে দেখে পেকেটটো এটা আঙুলিৰে বিশেষ কায়দাত ঘূৰাই ঘূৰাই ৰৈ আছে অভিমন্যু।

"ঐ, অভদ্ৰ। দে পেকেটটো। এইয়া আমাৰ সোৱণশিৰীৰ ছোৱালীবোৰৰ বাবে।"

Kaushik

সন্ধ্যাই চকু ঘোপা কৰি ক'লে।

"নাপাৱ, এইটো মোৰ।" সি পেকেটটোত পাইপ ডাল লগাই খালেই।

"কেনেকুৱা ডকাইত এইচব। ফাল্টু মানে।"

সন্ধ্যাই ভোৰভোৰালে।

"কেলে? আমাৰ পাটকাইৰ আগৰ পৰা যে নেমু চোৰ কৰ, তেতিয়া?" সন্ধ্যাৰ কাষলৈ তাইৰ চুলিখিনি টান মাৰি অভিমন্যুয়ে ক'লে।

"আঁতৰ হ এইডাল। চবতে খালী পেংলাই। ফোন কৰিলে ধৰিবলৈ সময় নাই হ'লে।"

সন্ধ্যাই পৰোক্ষ ভাৱে আগদিনাৰ কথাটো ইংগিত কৰি ক'লে। অভিমন্যু লগে লগে ছিৰিয়াছ হৈ গ'ল,

"পাইছোঁ ৰে তোৰ ফোন। কিন্তু ৰিজাল্ট দিয়াৰ পাছত ৰুমত আহি হে। এই কাৰোবাক ধূতী পিন্ধোৱা, হলত গৈ ল'ৰাবোৰৰ নাম দিয়া এইচবত লাগোতেই মোবাইল ক'ত পেলালোঁ গমেই নাপাওঁ। অনুৰণে ক'লে তোৰ কথা। কোনোবা বৰ ফটুৱা এজনী আছে বুইছ তোৰ হোষ্টেলত। তাইয়ে কৰি থাকে এইচব। অলপ ভালকে থাকিবি তই। মই বিদিশা বাৰ লগতো পাতিম।"

"হ'ব। মই ভয় নকৰোঁ কাৰোলেকো। এনেও কোনোবাই মোক কৈছিল, লোকৰ কান্ধত উঠি অকল মৰাশ হে যায়।"

সন্ধ্যাই হাঁহি এটা মাৰি ক'লে। অভিমন্যুৰ মনত পৰিল, কৌশিকৰ ঘটনাটোত তাইক বুজাওঁতে সিয়েই কৈছিল সেইটো কথা। সন্ধ্যাৰ কাষলৈ আহি ক'লে সি,

"খুব মনত ৰাখিছ চোন। ভাল শিষ্য তুমি।"

"আপোনাৰেই কৃপা গুৰুজী।"

সন্ধ্যাই হাঁহি হাঁহি মূৰ দোঁৱালে। সেই সুযোগতে তাইৰ বেগটোৰ পৰা আৰু এটা Furti ৰ পেকেট লৈ দৌৰ দিলে অভিমন্যু। যাওঁতে চিঞৰি কৈ থৈ গ'ল,

"এইটো গুৰু দক্ষিণা।"

"ঐ, তোক পাই লওঁ ৰহ। চাই থাক কি কৰিম মই।" খঙতে চিঞৰিলে সন্ধ্যাই পিছফালৰ পৰা। বেচেৰীৰ হাতত বেগটো থকাৰ বাবে দৌৰিবও নোৱাৰে তাই। ৰীণা

Kaushik

বাই আঁতৰৰ পৰা হাঁহি হাঁহি চাই আছিল সিহঁতৰ অকপট মৰমৰ ধেমালিবোৰ। সন্ধ্যাৰ মাজত যেন তাই এসময়ৰ নিজক দেখা পাইছিল। সময়ৰ কঠোৰ আঁচোৰত সেই ৰীণাজনী ক'ৰবাত হেৰাই থাকিল। তাই বিচাৰে সন্ধ্যা যেন সদায় এনেকৈয়ে থাকক। মৰম আকলুৱা হৈ।

পেৰেড আৰম্ভ হৈছিল। গোটেই ফিল্ডখন যেন পেৰেডৰ পোছাকবোৰেৰে ৰঙীন হৈ পৰিছে। কাৰোবাৰ সেউজীয়া, কাৰোবাৰ নীলা আদি। ধম ধম শব্দটোত এনে লাগিছিল যেন আগতীয়াকৈ অনুষ্ঠিত হৈছে স্বাধীনতা দিৱস। গোটেই হোষ্টেলবোৰ প্ৰতিনিধিত্ব কৰি থিয় হৈ আছিল কেডেটবোৰ। চকুত সকলোৰে আত্মবিশ্বাস। শাৰীটোৰ আগত ফ্লেগ বিয়েৰাৰ জনে হোষ্টেলৰ নিচান খন ধৰি লৈ যায়। লগতেই কমাণ্ডাৰজনে চিঞৰি যায়। সোৱণশিৰীৰ কমাণ্ডাৰ বিদিশাইও চিঞৰিছিল, "Subansiri tez chal"

দৰ্শক হৈ চাই থকা বাকী আৱাসী সকল যেন আৱেগিক হৈ উঠে মুকলি ফিল্ডৰ মাজত উৰি থকা নিজৰ হোষ্টেলৰ নিচানখন দেখি। সেই দৃশ্যটো চাবলৈকে বহুতে টোপনিৰ পৰা উঠিয়ে চকু মোহাৰি মোহাৰি হ'লে ফিল্ড পাইহি। নীলাচলৰ মাৰ্চ পাষ্টৰ কমাণ্ডাৰ হৈছিল সন্ধ্যাহঁতৰ ক্লাছৰে আৰিফ। তাই "বঢ়িয়া আৰিফ" বুলি চিঞৰ এটাও মাৰিছিল। আৰিফহঁতে বহুত ভাল কৰিছে।

শাৰীত থিয় হৈ থকা সোৱণশিৰীৰ ছোৱালী থিনিৰ পৰা অলপ আঁতৰতে থিয় হৈ আছিল ৰীণা আৰু সন্ধ্যা। এনেতে কোনোবা এজনী অলপ যেন অস্বাভাৱিক ভাৱে লৰচৰ কৰিছিল। সন্ধ্যাই কৈছিল ৰীণাক,

"বা, মৃগাক্ষীৰ কি হৈছে চোৱা চোন।"

ৰীণাই সন্দেহ কৰিছিলেই। সেইবাবেই আগুৱাই গৈছিল তাই। মূৰ ঘূৰাই পৰি যাবলৈ ধৰা মৃগাক্ষীক থাপ মাৰি ধৰিছিলগৈ ৰীণাই। তাৰ পৰাই সন্ধ্যাই লগ হৈ লৈ আনিছিল তাইক হোষ্টেললৈ। সন্ধ্যাৰ বেয়া লাগিছিল। ওপৰত ৰ'দ লৈ মূৰত টুপীৰ পৰা ভৰিৰ জোতালৈকে পিন্ধি পেৰেড কৰাটো কি সহজ কথা নে? বেচেৰী মৃগাক্ষীয়ে নোৱাৰিলে গৈ। পেৰেডৰ ৰিজাল্ট ওলাল। সোৱণশিৰীয়ে নাপালে। দুই এজনীয়ে মৃগাক্ষীক লৈ কিবা কিবি কৈছিল যদিও দীপা বাই ধমকি দিয়াত মনে মনে থাকিল। সন্ধ্যাই বুজি পাই, দলীয় ভাৱে কিবা এটাত বিফল হ'লে বেছি দুখ লাগে। বিদিশা বাই থোকা থুকি মাতেৰে "এইবাৰো নোৱাৰিলোঁ অ'" বুলি কওঁতে সন্ধ্যাৰো মনটো দুখ লাগিছিল। কিন্তু

Kaushik

সেইবুলি দলৰে এগৰাকীক দুখ দিয়াতো উচিত জানো? চেষ্টাতো সকলোৰেই সমানে কৰে। কিন্তু সকলো জিকাতো জানো সম্ভৱ। ল'ৰাৰ মাৰ্চ পাষ্টত নীলাচল প্ৰথম আৰু আৰিফ বেষ্ট কমাণ্ডাৰ। তাৰ বাবে ভাল লাগিছিল সন্ধ্যাৰ। তাই জানে আৰিফে প্ৰথমৰে পৰাই নীলাচলৰ বিভিন্ন কামত জড়িত হৈ আহিছে। নীলাচলৰ গোটেই ল'ৰাখিনিয়ে কষ্টও কৰিছে যথেষ্ট। এনেও গোটেই ইউনিভাৰ্চিটীৰ ভিতৰতে নীলাচলৰ ল'ৰাবোৰৰ একতা সকলোতকৈ বেছি। যিকোনো প্ৰতিযোগিতাত সিহঁতৰ চিঞৰবোৰেই তাৰ প্ৰমাণ। ল'ৰাৰ চেকেণ্ড হৈছিল চৰাইদেউ। চৰাইদেউ আৰু নীলাচলক ককায়েক ভায়েক বুলি ক'লেও ভুল নহ'ব চাগে। দুইখন হোষ্টেলৰ ল'ৰাই একেলগে ফুৰ্তি কৰি চিঞৰি আছিল ফিল্ডত। সেইদিনা পাটকাইও উকা। সকলোৰে মনবোৰ অলপ মৰা। উপায় নাই, সকলো সফলতা একেলগে পাই জানো!!

ৰাতিলৈ সাংস্কৃতিক সন্ধিয়া। নাই, আজিয়ে জুবিন গাৰ্গ নাহে। আজিৰ অনুষ্ঠানটোত ইউনিভাৰ্চিটীৰ ল'ৰা ছোৱালীবোৰেই প্ৰগ্ৰাম কৰিব। জুবিন কাইলৈহে আহিব। দীপা বাই এবাৰ সন্ধ্যাক ৰাতিলৈ গান নহ'লে বিহু নাচিবলৈ কৈছিল। পিছে নাই, তাই নানাচিলে। এই কেইদিন ভাগৰত এনেই অৱস্থা নাই। সদায়ৰ সেই ৰাতিও মায়াসনা হৈ উঠিছিল কমিউনিটী হল। চাৰিওফালে চিঞৰ, উকি। প্ৰাঞ্জল দাইঁতৰ হিয়া দিয়া নিয়া, কৃষ্ণমণি দাৰ বাঁহীৰ লহৰ আৰু বহুতো নাচ। অভিমন্যুয়ে নিজে নচাৰ লগতে সন্ধ্যাকো টানি আজুৰি নচোৱাইছে। কিন্তু এসময়ত তাইৰ অশান্তি লাগিল। কালিৰে পৰাই এই হুলস্থুল, নাচ গান। ৰাতিও টোপনি নাই বেছি। ৰাতিপুৱা আকৌ দৌৰা দৌৰি। তাতে কাইলৈ আকৌ শোভাযাত্ৰা আছেই। সিহঁতবোৰক তাতে এৰি তাই হোষ্টেল যাওঁ বুলি ওলাই আহিল। নোৱাৰি আৰু এই চিঞৰৰ মাজত।

ফিল্ডৰ পৰা আহি বয়জ হোষ্টেলৰ আগৰ ৰাস্তাটোত উঠিল সন্ধ্যা। তাৰ পৰাই খোজ লৈছিল সোৱণশিৰীৰ ফালে। এনেতে বৈ গ'ল তাইৰ প্ৰিয় ঠাই, সেই কাঞ্চনজংঘাৰ পুলটোত। এই ঠাইখিনিৰ যেন এক বেলেগ মোহ আছে। এটি বেলেগ নিচা আছে। বহিল তাতেই। কমিউনিটী হলৰ পৰা ভাঁহি আহিছে চিঞৰবোৰ। আকাশ খনে তৰাৰ ফুলবছা চোলাটো পিন্ধিছে। হুৰহুৰীয়া ফাগুণৰ বতাহজাকত সৰি পৰে নাহৰৰ শুকান পাতবোৰ। এইদৰে সৰাপাত হৈ সৰি পৰাতো চাগে এক মাদকতা আছে ন? নিজে সৰিও হেঁপাহৰ গছজোপাক নতুন পাতেৰে সজীৱ হৈ উঠাটো দেখাৰ মাদকতা। আজি

Kaushik

নীলা চুৰিদাৰ এযোৰ পিন্ধি আহিছিল সন্ধ্যাই। চুলিখিনি আজিও মেলা। চকুত পৰি মাজে মাজে আমনি কৰে। তাই আঁতৰাই দিয়া নাই। থাকক চোন। ফাগুণে চুই যাওঁক তাইক।

"কি হ'ল অ' ছোৱালী ফাংচন এৰি ইয়াত বহি আছা যে?"

পিছফালৰ চিনাকি মাতটো। হয়, অনুৰণ। সিও অহা নাছিল প্ৰগ্ৰাম চাবলৈ। এনেই ঘূৰি আছে চাইকেলত। তাক জোকাবলৈ মন গ'ল সন্ধ্যাৰ। সেইবাবেই ক'লে,

"তোমালৈকে ৰৈ আছিলোঁ অ' ল'ৰা।"

"কিয় বা?" চাইকেলখনত ভেঁজা দি সি সুধিছিল। সন্ধ্যাই দুষ্টালিৰ হাঁহি এটা মাৰি ক'লে,

"আমাৰ বিহু গ্ৰুপৰ ছোৱালী এজনীয়ে তোমাক ভাল পায়। প্ৰপোজ কৰিব বোলে। ৰ'বা মাতো তাইক।" তাই মোবাইলটো উলিওৱাৰ দৰে কৰিলে।

Kaushik

"কি ফাল্টু? যাঁও মই। থাকা তুমি।"

অনুৰণ চাইকেলত উঠিলেই। সন্ধ্যাই হাঁহি হাঁহি পুলটোৰ পৰা উঠি গৈ ক'লে,

"কেলে? ইমান কিহৰ ভয় তোমাৰ প্ৰেমলে?"

"প্ৰেমলে ভয় নালাগে। প্ৰেমিকালৈহে লাগে।"

অনুৰণৰ উত্তৰত জোৰকৈ শব্দ কৰি হাঁহি উঠিল সন্ধ্যাই। হাঁহি হাঁহিয়ে ক'লে,

"একো নহয়, মই একদম শান্ত শিষ্ট প্ৰেমিকা এজনী চাই দিম তোমাক।"

"হ'ব। নালাগে ইমান উপকাৰ কৰিব। ভাগৰ লাগি আছে তোমাৰ। হোষ্টেল যোৱা।"

অনুৰণৰ কথাত আকৌ আচৰিত হৈছিল সন্ধ্যা। তাইতো এবাৰো কোৱা নাই ভাগৰ লগাৰ কথা। সদায়ৰ দৰেই আজিও সি তাই নোকোৱাকেই গম পালে। তাৰ চাইকেলতে ভেঁজা দি সন্ধ্যাই ক'লে,

"ভাগৰ লাগিছে, খালী হোষ্টেলো যাব মন যোৱা নাই অ'। ব'লা না এপাক খোজ কাঢ়ি আহোঁ।"

"নালাগে চোন এতিয়া। হোষ্টেল গৈ অলপ আৰাম কৰা।" অনুৰণে কৰ্তৃত্বৰ সুৰত কৈছিল।

"না না। প্লিজ ব'লা না। সোনকালে আহি যাম।" সৰু ছোৱালীৰ দৰে কোৱা সন্ধ্যাৰ কথাত অনুৰণে হাঁহিৰে কৈছিল,

"হ'ব হ'ব। পেনপেনাব নালাগে। ব'লা।"

সঁচাকৈ মন গৈছিল সন্ধ্যাৰ। এই কোলাহলৰ পৰা দূৰত অলপ সময় কটোৱাৰ। অনুৰণতকৈ ভাল সংগী আৰু কোন হ'ব পাৰে। ক'ব নোৱাৰাকৈ অনুৰণৰ সংগ বিচাৰিছিল তাই। অভিমন্যুৰ লগত কথা পাতি তাইৰ ভাল লাগে সঁচা, কিন্তু অনুৰণৰ লগত কথা পাতি তাই ভাল পায়। ভাল লগা আৰু ভালপোৱাৰ পাৰ্থক্য ইয়াতেই চাগে। মাত্ৰ অনুভৱৰ চাকনৈয়াত পৰি সন্ধ্যাই বুজা নাছিল।

SOE ৰাস্তাটোৰ ফালে ওলাই গৈছিল অনুৰণ আৰু সন্ধ্যা। নিৰিবিলিৰ কাষেৰে, ভিচিৰ ঘৰৰ সমুখেৰে। হালধীয়া ষ্ট্ৰীট লাইটবোৰে পথটোত অন্য এক মাদকতা সানিছিল। ৰিবৰিব বতাহজাকে ওখ ওখ গছকেইজোপাত কোবাই হুৰহুৰকৈ পাতল সুৰৰ শব্দটো গঢ়িছিল। নিৰিবিলিৰ পুখুৰীটোত অলপ মাজে মাজে কলকল বুৰবুৰণি এটা। সকলোবোৰ পৰোক্ষ কৰি সন্ধ্যাই অনৰ্গল কথা কৈ গৈ আছে। সিহঁতৰ প্ৰেকটিছৰ কথা। তাই জিকাৰ পাছত হোষ্টেলত কোনে কি ক'লে, আজি মাৰ্চ পাষ্টত কি কি হ'ল চব। অনুৰণে এবাৰ এবাৰ মাত্ৰ শান্ত হাঁহিৰে তাইলৈ চাই। কথাৰ মাজতেই বতাহত উৰি অহা চুলি কেইডাল তাই পাছলৈ ঠেলিছে। দিনটোৰ কিবা কথা, হোষ্টেলৰ কথা একো বাদ পৰা নাই। অনুৰণে চাইছে, কথা আৰু হাঁহিৰ মাজত সন্ধ্যাৰ চকুৰ কাজলখিনিয়েও চঞ্চল হৈ হাঁহিছে। কৈ কৈ এবাৰত ৰৈ গ'ল তাই। কিছু সময় মৌনতা। অনুৰণে ক'লে,

"আৰু কোৱা"

সন্ধ্যাই এবাৰত আচৰিত হৈ তাৰ ফালে চালে। তাই দিনটো কথা কৈ থাকিলেও যেন সি ৰৈ থাকিব কাষতে। এনেকুৱাই অনুৰণ।

"তোমাৰ মুখত এই কথাটো শুনিলেই মোৰ কিবা এটা ভাল লাগে জানা।" তাই ক'লে।

"হয় নেকি? কিয়?" এবাৰ তাইৰ চকুলৈ চালে অনুৰণে।

Kaushik

"মোৰ টেপটেপনিত চবেই ব'ৰ হৈ যায় যে" আকৌ চঞ্চল হাঁহি তাইৰ। অনুৰণে চাই ৰ'ল। যেন গোটেই ফাগুণখিনি তাই মুখতে আজুৰি লৈছে।

"তুমি ব'ৰ নোহোৱা?" সন্ধ্যাৰ প্ৰশ্নত চকুত অলপ হাঁহি লৈ অনুৰণে উত্তৰ দিলে,

"উপায়ো নাই যে।"

আকৌ হাঁহিত কঁপি উঠিল নিৰিবিলি। প্ৰাণ চঞ্চল হৈ হাঁহিছে সন্ধ্যাই। হাঁহিৰ সুৰতে জীপাল হৈছিল সন্ধিয়াটো। নিৰিবিলিৰ পুখুৰীটো কলকলকৈ উঠিছিল। বতাহজাকো যেন এইবাৰ জোৰকৈ আহিছিল। হাঁহিৰ মাজতেই অনুৰণৰ চকু আৰু ওঁঠকো চুই গৈছিল সন্ধ্যাৰ উৰি অহা চুলি কেইডালে।

"অহ, উপায় নাই কাৰণেহে শুনা মানে ন?"

হাঁহি হাঁহিয়ে সন্ধ্যাই ক'লে। তাইৰ চকুলৈ চাই অনুৰণে কৈছিল,

"ধেমালি কৰিছোঁ অ'। ভাল লাগে।"

সন্ধ্যাইও চাইছিল অনুৰণৰ শান্ত চকুযুৰিলৈ। কি আছিল তাত? আশ্বাস, ভৰষা, ভাললগা নে আন কিবা? নুবুজে সন্ধ্যাই। সন্ধ্যাৰ চকুৰ ভাষাও বুজিছিল নে চাগে অনুৰণে। তাইৰো যে আছিল এক অনুৰাগ।

কমিউনিটী হলত প্ৰগ্ৰেম শেষ হোৱাই নাছিল। একেবাৰে পাতলকৈ ভাঁহি আহিছিল কোনোবাই গাই থকা গান,

"জানো জানো মইও জানো

তোমাৰ হিয়া মইও চিনো

হিয়াৰ কথা মইও শুনোঁ

চকুত মায়া মইও সানো....."

(আগলৈ)

#নিৰিবিলি

Part 60

এই যে কাৰোবাৰ চকুলৈ চালে অজানিতে বুকুখন কঁপিবলৈ লয়, এই যে চকুদুটিত কিবা অচিন পোহৰে তিৰবিৰাই, সন্ধ্যাই হয়তো বুজা নাছিল ; কিন্তু সেয়া আচলতে ভালপোৱাই।

"উভতি যাওঁ ব'লা।" অনুৰণে ক'লে।

"ব'লা।" সন্ধ্যাও ঘূৰিল তাৰ লগতেই। সময় কিমান হৈছিল নাজানে এটাইও। কমিউনিটী হলৰ চিঞৰবোৰ তেতিয়ালৈ নাছিল। শান্ত বতাহ এজাক বুকুত সাৱটি সেউজীয়া ফিল্ডখনেও জিৰণি লৈছিল।

"যোৱা।" সোৱণশিৰীৰ সমুখ পাই অনুৰণে ক'লে।

গেটখনত সোমাবলৈ লৈ সন্ধ্যা আকৌ ঘূৰিল,

"শুনা না।"

"কোৱা।" অনুৰণে তাইলৈ চাই ক'লে।

গেটখনতে ভেঁজা দি সন্ধ্যাই সুধিছিল,

"কাইলৈ জুবিনৰ প্ৰগ্ৰাম চাবা নে নাই?"

"উহোঁ, নাচাওঁ।"

Kaushik

অনুৰণৰ কথাত কিয় জানো খং উঠিছিল সন্ধ্যাৰ। ইমান কিয় এনেকুৱা এই ল'ৰাটো? চবেই আশা কৰি আছে জুবিন আহিব। আৰু ই? খঙতেই একো নকৈ সোৱণশিৰীৰ ভিতৰলৈ উঠি গ'ল সন্ধ্যা। মুখখন অকণমান ফুলিছিল তাইৰ। অনুৰণে মিচিকিয়া হাঁহিৰে চাই ৰৈছিল তাই যোৱাৰ ফালে।

কমন ৰুমতে থকা বিদিশাই চিঞৰি মতাৰ পাছতো সন্ধ্যা ৰুম পালেগৈ। অথনিৰে পৰা ভাল লাগি থকা মনটো এনেই কিবা বেয়া হৈ গ'ল চোন। বিচনাখনতে বহিল তাই। এনেতে মোবাইলৰ মেচেজ টনটো বাজিল। বিৰক্তিৰে আনি চালে। অনুৰণৰ মেচেজ,

"Ahim o sabole, enei koisilu"

মেচেজটোৰ লগতে মুখৰ হাঁহিটোও ওলাই আহিছিল সন্ধ্যাৰ আপোনা আপুনি। মুখ ধুই কাপোৰ সলাই কমন ৰুম পালেগৈ তাই।

"এই কাৰণতেই মই ভাৰ্চিটী উইক আৰম্ভ হওঁতেই কৈছিলোঁ যে থিমটো ভাব। কিন্তু নাই, আমাৰ পাটকাই সত্ৰৰ সত্ৰাধিকাৰ দেৱাশীষ বৰাৰ এইবোৰ ভাবিবলৈ সময়ে নাই। এতিয়া গোটেই ৰাতিটো ভাবি থাক। বেলেগ হোষ্টেলৰ চাগে...."

"হেই এইডাল ৰহ ঔ। অথনিৰে পৰা টেপটেপাই আছ। চিন্তা কৰিবলৈ দেচোন।"

পাটকাই হোষ্টেলৰ ৱাৰ্ডেন অফিচৰ ৰুমটোত বহি দেৱাশীষক গালি পাৰি থকা বিপ্লৱক ভেকাহি মাৰি ক'লে উৎপলে। উৎপল আৰু বিপ্লৱ, পাটকাইৰ এচিছটেণ্ট প্ৰিফেক্ট। অফিচৰ মূল টেবুলখনৰ চকীতে বহি কিবা এটা চিন্তা কৰি আছে দেৱাশীষে। সমুখৰ চকীত উৎপল আৰু টেবুলৰ চুকটোতে ভৰি ওলমাই বহি আছে বিপ্লৱ।

"অথনিৰে পৰা চিন্তা কৰিয়ে আছহঁত। নহ'ব গে আজি।"

আকৌ বিপ্লৱৰ কথা।

আচলতে সমস্যা গভীৰেই। কাইলৈ ৰাতিপুৱা সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতা। গোটেইবোৰ হোষ্টেলে সুকীয়া সুকীয়াকৈ ভাগ লয়। এটা বিষয় বাছি লৈ তাৰ ওপৰতে গোটেই শোভাযাত্ৰাটো হয়। বাকীবোৰ হোষ্টেলে ভাৰ্চিটী উইকৰ তাৰিখ ঘোষণাৰ পৰাই আৰম্ভ কৰি দিয়ে ইয়াৰ যা যোগাৰ। কিন্তু পাটকাইৰ এতিয়ালৈকে একো এটা বিষয়েই ঠিক হোৱা নাই। দেৱাহঁতে ভাবিও পোৱা নাই। কি কৰিব। শেষত অভিমন্যুলৈ ফোন লগাই তাকো মাতিলে।

"দেৱা দা, চাওঁক চোন আমাৰ ভাগ্য খন। ভাৰ্চিটী উইক শেষ হ'লে চব কামোৰেই কামোৰ হ'ব।" ৰুমটোৰ দুৱাৰখন খুলি মোবাইলটো চাই চাই সোমাই অহা অভিমন্যুয়ে ক'লে।

"কিয়? কি হ'ল?" দেৱাৰ সলনি উৎপলেই সুধিলে।

"এইবাৰ চব ফেষ্টিভেল দেওবাৰ শনিবাৰে পৰিছে চাওঁক। এইমাত্ৰহে চালোঁ Holiday লিষ্টখন। ইয়াত চোন জন্মাষ্টমীৰো বন্ধ নাই।"

অভিমন্যুৰ কথাত মন নিদি হঠাৎ দেৱাশীষে উৎপললৈ চালে। সিও চালে দেৱাশীষলৈ। তাৰ পাছত বিপ্লৱলৈ। যেন কিবা টেলিপেথী হে চলিছিল। দুই কি তিনি ছেকেণ্ডৰ পাছত অভিমন্যুৰ বাহিৰে বাকী তিনিওটাই চিঞৰি উঠিল,

"পাই গ'লোঁ।"

Kaushik

অভিমন্যু আচৰিত হ'ল। কি হৈছে ইহঁতৰ। তাৰ প্ৰশ্নভৰা মুখখন দেখিয়ে দেৱাশীষে ক'লে,

"কাইলৈ শোভাযাত্ৰাত আমাৰ বিষয় হ'ব বছৰটোৰ প্ৰতিটো মাহত পালন কৰা উৎসৱ সমূহ। অভিমন্যু, তই সোনকালে এখন লিষ্ট বনা কি কি ফেষ্টিভেল আমি দেখুৱাব পাৰিম। লগত বিপ্লৱো থাকিব। আৰু উৎপল মোৰ লগত আহ। বাকী ল'ৰাবোৰক ক'ব লাগে।"

লগে লগেই গোটেই হোষ্টেলটোতে এক হুলস্থুল লাগি গৈছিল। "থীম চিলেক্ট হৈ গ'ল। এতিয়া কাম কৰিব লাগে।" কোনোবাই থাৰ্মকল এসোপা মান আনি সমুখৰ ৰুমৰ বহল মজিয়াখনত থৈছিলহি। কোনোবাই আকৌ আগফালে থকা বাঁহবোৰ কাটিবলৈ লাগিল। কোনোবাই কাগজবোৰ কাটি কাটি পোষ্টাল বনাবলৈ লাগিছে। চাৰিওফালে চিঞৰ,

"ঐ, আঠাটো ক'ত পেলালি?"

"ইয়াৰ পা কেঁচিখন কোনে নিলি?"

"কটাৰী এখন আনচোন কোনোবাই।"

"ৰচীথিনি ক'ত"

মুঠতে চাৰিওফালে যেন এক যুদ্ধৰ প্ৰস্তুতি। থাৰ্মকলেৰে বি টেকৰ দেবব্ৰতে বনাই পেলাইছিল দূৰ্গাদেৱী দহটো হাত। বিক্ৰমে বাঁহেৰে বনাইছিল শিৱৰ ত্ৰিশূল। হোষ্টেলৰ সমুখৰ বহল মাটিডৰাতে খেৰবোৰ গোটাই সৰুকৈ মাঘৰ মেজি এটা সাজিবলৈ লৈছিল অমৰহঁতে। অনুৰণেও অভিমন্যুৰ লগ হৈ বাঁহবোৰ কাটিবলৈ লাগিছিল। ময়ূঁৰে পোষ্টাৰত লিখি আছিল প্ৰতিটো উৎসৱৰ নাম। দেৱাশীষে মাজতে সকলোবোৰ তদাৰক কৰি আছিল। বিনোদে হম থিয়েটাৰটো আনি সমুখৰ ৰুমত গানেই বজাই দিলে,

"বাটি ভৰাই চিৰা খাবি বাঁহৰ চুঙাৰ দৈ,

বাঁহৰ চুঙাৰ দৈ ঐ......"

বিহুৰ সুৰত যেন দুগুণ উছাহেৰে কামত লাগিছিল সকলো।

এই ব্যস্ততা যেন অকল পাটকাইতহে তেনে নহয়, গোটেই কেইখন হোষ্টেলৰেই সাংস্কৃতিক শোভাযাত্ৰাৰ আগৰাতি এই অৱস্থাই হয়। গোটেই ৰাতিটো এক চিকুট টোপনি নমৰাকৈ ল'ৰা ছোৱালীবোৰে কিদৰে কামত লাগি থাকিব পাৰে ভাবিলে

Kaushik

আচৰিত লাগে। নিজৰ মৰমৰ হোষ্টেলখনৰ প্ৰতি থকা ভালপোৱাৰে শক্তি এইয়া। কি চৰাইদেউ, কি নীলাচল সকলো সাৰে আছে আজি। নীলাচলৰ পৰাটো মাজে মাজে NMH rocksৰ সুৰ ভাঁহিয়ে আহে এই ৰাতিও।

বাকী হোষ্টেলৰ দৰে সোৱণশিৰীতো একে ব্যস্ততা। হামিয়াই হিকটিয়াই হ'লেও কামত লাগি আছে চব। সন্ধ্যাৰ দায়িত্ব পৰিছিল পোষ্টাৰ বনোৱা। সোৱণশিৰীৰ থীম হ'ল "শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাট।" ছয়খন নাটৰে এটা এটা দৃশ্য দেখোৱা হ'ব। সিহঁতে কোনে কি ভাও ল'ব সেয়াও ঠিক কৰি থৈছিল। সকলোৰে দাবীত সন্ধ্যা মান্তি হৈছিল "কেলিগোপাল" নাটৰ শ্ৰীকৃষ্ণ হ'বলৈ। ৰীণা বা ৰাম হৈছে "ৰামবিজয়" নাটৰ। ৰুবী আকৌ সত্যভামা হৈছে "পাৰিজাত হৰণ"ৰ। তেনেদৰেই বাকীবোৰো। বিদিশা বাই ক'ৰবাৰ পৰা প্ৰতিখন নাটৰ কিছু কিছু বচন সংগ্ৰহ কৰি সকলোকে দি আছে।

তেনেদৰেই পাৰ হ'ল ৰাতিটো। গোটেই কেইখন হোষ্টেলেই সাৰে থাকিল। ব্যস্ততা, কষ্ট আদিৰে কেতিয়ানো পূৰে ধলফাট দিলে ক'বই নোৱাৰিলে কোনেও।

একে ৰাতিতে লাচিতে গড় বন্ধাৰ দৰেই পুৱালৈকে প্ৰায় সম্পূৰ্ণ হৈছিল পাটকাইৰ প্ৰস্তুতি। ঠেলাবোৰো যোগাৰ হৈছিল। এতিয়া কাম হ'ল কোন কি হ'ব সেয়া ভগোৱা। বিক্ৰম আৰু তাৰ লগৰ দুটা মানক মাঘবিহুৰ দায়িত্ব দিলে। তাৰ পাছতে অংকুৰক পাতিলে শিৱৰাত্ৰিৰ শিৱ। তেজপুৰৰে বিপ্লৱে ৰাতিপুৱাই শিৱৰ ড্ৰেচো আনি পোৱাই দিলেহি। সেইদৰেই প্ৰতিটো উৎসৱৰ দায়িত্ব এজন এজনক দি গৈছিল। কিন্তু সমস্যাটো আহিল দূৰ্গা পূজাত। কাৰণ শাৰী পিন্ধি দূৰ্গা হ'বলৈ কোনো সাজু নহয়। কি কৰা যায়? শেষত উপায় নাপাই দেৱা দাই অভিমন্যুৰ নাম ল'লে। ওচৰতে থকা অভিমন্যু জঁপিয়াই উঠিছিল,

"কি? কিবা হৈছে নেকি? মই নোৱাৰোঁ দেই দেৱা দা। বেলেগক দিয়ক।"

তাৰ ভয় দেখি হাঁহিৰ ৰোল উঠিল গোটেই ল'ৰাজাকৰ। লগে লগেই বিপ্লৱে খাটনি ধৰিলে তাক,

"অ' সোণ, তই নহ'লে কোন হ'ব কচোন। দেহা অ', পাটকাইৰ সন্মানৰ খাতিৰত এইকণো কৰিব নোৱাৰ নে?"

আকৌ চবৰে হাঁহি। শেষত ইম'চনেল ব্লেকমেইলিঙৰ চিকাৰ হৈ অভিমন্যু মান্তি হ'ল। অনুৰণে হাঁহি হাঁহি ময়ূঁৰক কৈছিল গৈ, "অভিমন্যু আজি দূৰ্গা।"

Kaushik

কাম কৰি আজৰি হৈ গাটো ধুবলৈ বাথৰুম সোমাল সন্ধ্যা। অলপ পাছতে মেক আপৰ মানুহজন আহিবয়েই। গোটেই ভাঁৱৰীয়া বোৰক উলিয়াবলৈ আছে। দেৰি হ'লে লাইন পাতি ৰ'ব লাগিব। তাতে আজি তাই নিজৰ প্ৰিয়জনৰ সাজযোৰ পিন্ধিব। কৃষ্ণৰ সাজ। মনটো এনেই ভাল লাগি আছে। গাটো ধুই ৰুমত সোমাই ধূপ ডাল জ্বলাওঁতেই ফোনটো বাজিল, অভিমন্যুয়ে কৰিছে,

"ঐ, শুন না। মোক বস্তু এটা লাগে।"

"কি লাগে তোক ৰাতিপুৱাই?"

সন্ধ্যাই ভাবি পোৱা নাই এই ব্ৰহ্মপুৱাই কি লাগে ইয়াক। অভিমন্যুয়ে আকৌ সুধিলে,

"তই কাকো নকঁৱতো?"

"ঐ, কি লাগে জল্দি ক দেই। মোৰ কাম আছে।"

"হেৰি মানে তোৰ, মানে"

"অভি, লেলাই নাথাক। ক সোনকালে।"

"তোৰ ৰঙা ব্লাউজটো।"

"কি???"

সন্ধ্যা আৰু আচৰিত হৈছিল তাৰ কথাত। এই ৰাতিপুৱাই তাইৰ ব্লাউজ খুজি ফোন কৰিছে সি? অনবৰত ফটুৱামি ইয়াৰ। খঙেৰে ক'লে তাই,

"অসভ্যালি কৰিবলে মানুহ পোৱা নাই আৰু তই।"

"আবে, সঁচাকে কৈছোঁ অ' মেৰি মা। প্ৰচেছনত দূৰ্গা হৈছোঁ মই। শাৰী পাইছোঁ ব্লাউজ নাই।"

অভিমন্যুৰ কথাত হাঁহিত ফাটি পৰিল সন্ধ্যা। অভি আৰু দূৰ্গা? হে ভগৱান, কাৰ মাথা বাৰু এইটো? কেনেকুৱা লাগিব ইয়াক চুলি লগাই শাৰী পিন্ধি দূৰ্গা হ'লে?

"হাঁহিয়ে থাকিবি নে দিবি?" সি আকৌ কোৱাত কোনো ৰকম হাঁহিটো ৰখাই ফোঁপাই জোপাই সন্ধ্যাই ক'লে,

Kaushik

"মোৰ ব্লাউজ তোলৈ কেনেকৈ হ'ব বাবু? ফাটি থাকিব। বিদিশা বাৰ এটা আছে। সেইটোকে ল'ব পাৰিবি। আহ তই সোৱণশিৰীৰ আগত।"

"ঠিক আছে, গৈ আছোঁ। লগতে কাজল আৰু লিপষ্টিক এটাও দিবি।"

আকৌ হাঃ হাঃ কৈ হাঁহি উঠিল সন্ধ্যা। বেচেৰাটো।

অৱশ্যে এইটো কোনো নতুন নিয়ম নহয়। প্ৰচেছনৰ দিনা ল'ৰাবোৰে এনেকুৱা বস্তুৰ যোগাৰ এনেকৈয়ে কৰে। তেনেকৈ ছোৱালীবোৰেও ল'ৰাৰ পৰা জোতা, টুপী এনেকুৱাবোৰ লয়।

অলপ পাছতে অভিমন্যু অহাত সন্ধ্যাই পলিথিন এটাত বস্তুবোৰ ভৰাই দিলেগৈ তাক। দাড়ি কাটি গোটেই গুচোৱা পিয়াজটোৰ দৰে হৈ অহা অভিমন্যুক দেখি হাঁহি ৰখাব নোৱাৰিলে তাই। হাঁহি হাঁহিয়ে কৈছিল,

"জয় মাতা দী।"

"দি আছোঁ ৰহ তোক" বুলি ভোৰভোৰাই হোষ্টেললৈ গৈছিলগৈ সি।

সন্ধ্যা উভতি আহি মেক আপ লৈছিল হি কৃষ্ণৰ। ভৰিত জুনুকা, শিৰত ম'ৰা পাখিৰে সম্পূৰ্ণ কৃষ্ণৰ সাজযোৰ পিন্ধাৰ পাছত সন্ধ্যাক যিয়ে দেখে সিয়ে ফটো উঠিবলৈ লগ লৈছিল। সন্ধ্যা পুলকিত হৈ আছিল অজানা ভাৱত। গাত যে তাইৰ কানাইৰ সাজ।

Kaushik

এখন দুখন কৈ সকলো হোষ্টেলৰ শোভাযাত্ৰাবোৰ থুপ খাইছিল ফিল্ডখনত। সন্ধ্যাই দেখি আচৰিত হৈছিল সকলোকে। যেন গোটেই তেজপুৰ ইউনিভাৰ্চিটীয়ে হে ভাগ লৈছে আজি। প্ৰথমৰ পৰাই কোনো এখন হোষ্টেলেই নিজৰ থীমৰ কথা কাৰো আগত নকয়। অত্যন্ত গোপনীয়তা মানি চলাৰ পাছত আজিৰ এই দিনটোত সকলোৱে গম পাই কোনখন হোষ্টেলে কি কৰিছে। বিহু নাটকৰ পৰা মাৰ্চ পাষ্টলৈকে প্ৰতিযোগিতাবোৰক হোষ্টেলৰ হৈ এট দলত বহু কম আৱাসী থাকে। কিন্তু এই কালচাৰেল প্ৰচেছনত যেন গোটেইখন হোষ্টেলেই ভাগ লয়। ফিল্ডখন আজি ভৰি পৰিছে। কোনোবা কৃষ্ণ, কোনোবা শিৱ, কোনোবা হনুমান, কোনোবা আকৌ খেতিয়ক, কোনোবা মাছমৰীয়া, কোনোবা বাঘ, কোনোবা ভালুক মুঠতে অগণন চৰিত্ৰৰ সমাহাৰ। সকলো প্ৰতিযোগিতাৰ ভিতৰত এই প্ৰচেছনটোৱেই এনে প্ৰতিযোগিতা যিটোত প্ৰত্যেক জনেই প্ৰতিযোগিতাত ভাগ লোৱাৰ সলনি বেছিকৈ উপভোগ কৰে সময়খিনি। ফুৰ্তি, আনন্দ,

হাঁহি আদিৰে ভৰি পৰে চৌপাশ। প্ৰফেচৰৰ পৰা আৰম্ভ গোটেই ইউনিভাৰ্চিটী অইন মানুহবোৰো আহি ভিৰ কৰিছেহি ফিল্ডৰ কাষত।

সন্ধ্যা নিজৰ লাইনত থিয় হৈ থাকিও বিচাৰি আছিল অভিমন্যুক। পাটকাই অহা দেখি তাই বৈ থাকিব নোৱাৰি তাৰ ওচৰ পাইছিলগৈ। অভিমন্যুক গোটেই ছোৱালীবোৰে জোকাইছিল,

"বৰ কিউট দূৰ্গা আনিছে দেই পাটকাইয়ে।"

বেচেৰাই তলমূৰ কৰিছিল লাজত। ঠেলাখনত বান্ধি দিয়া চকীত বহি আছিল সি ৰঙা শাৰীখন পিন্ধি। ওঁঠত লিপষ্টিক চকুত কাজল আৰু দূৰ্গাৰ দহ হাত লগাই বহি থকা অভিমন্যুক দেখি হাঁহি হাঁহি অৱস্থা নাই সন্ধ্যাৰ। তাক দেখি তাই চিঞৰি উঠিছিল,

"জোৰ চে ব'ল'"

ওচৰত থকা গোটেই ল'ৰাখিনিয়ে একেলগে চিঞৰিলে,

"জয় মাতা দী।"

বেচেৰা অভিমন্যুৰ লাজত ক'ত যাওঁ কি কৰোঁ অৱস্থা। তাৰ ঠেলা ঠেলি নিবলৈ অনুৰণ বৈ আছিল। গোটেই বাটটো ঠেলি নিব সি অকলে। পাৰিব নে সি? সন্ধ্যাৰ চিন্তাও হৈছিল। এনেতে প্ৰতিযোগিতাৰ আৰম্ভণি ঘোষণা হ'ল। মাইকত প্ৰতিখন হোষ্টেলৰ নাম আৰু শোভাযাত্ৰাৰ বিষয় কোৱাৰ লগে লগে আগবাঢ়িছিল এখন এখনকৈ। জুৰিহঁতৰ প্ৰাগজ্যোতিকাই মাজুলীৰ সংস্কৃতিৰ ওপৰত কৰিছিল। তেনেদৰে বৰদৈচিলাই লৈছিল বিভিন্ন ধৰ্ম তথা সম্প্ৰদায়ৰ বিবাহ। ইফালে চন্দ্ৰালী বাঁহতৰ নিউ ৱমেনচে লৈছিল বুঢ়ী আইৰ সাধু। চন্দ্ৰালী বা ওলাইছিল চম্পাৱতীৰ ভাওত। নীলাচলে লৈছিল অসমীয়া উপন্যাস। তাৰে মিৰি জীয়ৰীৰ জংকী হৈ ওলাইছিল আৰিফ। চৰাইদেৱে খুব সুন্দৰকৈ দেখুৱাইছিল বাৰেচহৰীয়া ভাওনাৰ সংস্কৃতি। এইদৰেই গোটেইবোৰ হোষ্টেলে নিজৰ নিজৰ চিন্তা আৰু প্ৰতিভাৰে উজলাই দেখুৱাই গৈছিল বাৰে ৰহনীয়া সংস্কৃতিৰ সেউজীয়াবোৰ।

ফিল্ডৰ পৰা ওলাই গোটেই কেম্পাছটো এপাক ঘূৰি আহি আকৌ ফিল্ড পালেহি আটাইবোৰ। প্ৰায় দুঘন্টা মানেই লাগিছিল এখোজ দুখোজকৈ অভিনয় কৰি কৰি বচন মাতি নাচি নাচি যাওঁতে। তাতে বাটত মাজে মাজে বিচাৰক বৈ থাকে। দীপা বাহঁতে তাৰ মাজতেই পানী যোগান ধৰিছিলহি সন্ধ্যাহঁতক। বাটটোত সিহঁতক চাবলৈ গোটেই

Kaushik

ইউনিভাৰ্চিটী উঠি আহিছিল। এমিনিটী পাৰ হওঁতে সন্ধ্যাক দেখি বকুল দাই চিঞৰ এটা মাৰিছিল।

অলপ সময়ৰ পাছতেই ৰিজাল্ট ওলাল। তৃতীয় স্থান পাইছে, নিউ ৱমেনচ হোষ্টেল। আটাইবোৰ ছোৱালীৰে কি ফুৰ্তি। চন্দ্ৰালী বাইঁতেও চিঞৰি উঠিছিল "N-W-H" বুলি। দ্বিতীয় স্থানত আছে সোৱণশিৰী আৰু প্ৰাগজ্যোতিকা। এইবাৰ চিঞৰত গগণ ফালিছিল সন্ধ্যাহঁতে। অৱশেষত শেষৰ প্ৰতিযোগিতাটোতো কিবা এটা পালেগৈ। আৰু এইবছৰৰ শ্ৰেষ্ঠ শোভাযাত্ৰাৰ সন্মান লাভ কৰিছিল চৰাইদেউ ছাত্ৰাবাসে। C for CMH ধ্বনিৰে ফিল্ডখন জীপাল হৈছিল। চৰাইদেওৰ বাৰেচহৰীয়া ভাওনা সঁচাই ধুনীয়া হৈছে বুলি এনেও সকলোৱে এক মুখেৰে কৈছিল। কম আৱসী থকা হোষ্টেলখনে খুব সুন্দৰকৈ জামুগুৰিৰ বাৰেচহৰীয়া ভাওনাৰ প্ৰতিটো দিশ দেখুৱাইছিল। ৰিজাল্ট যিয়ে নহওঁক, এইটো প্ৰতিযোগিতাত সকলোৱে ফুৰ্তি কৰোঁ বুলি ওলাই আহিছিল। গতিকে কাৰো একো আক্ষেপো নাই।

Kaushik

এইদৰেই ভাৰ্চিটী উইকৰ সকলো প্ৰতিযোগিতা শেষ হ'ল। আবেলিলৈ প্ৰাইজ ডিষ্ট্ৰিবিউচন আছিল। সন্ধ্যা আৰু অভিমন্যুয়ে শ্ৰেষ্ঠ বিহুৱতী আৰু শ্ৰেষ্ঠ অভিনেতাৰ ট্ৰফীকেইটা পোৱাৰ লগে লগেই জুৰিহঁতে আকৌ জোকাবলৈ লৈছিল,

"সোনকালে কিবা এটা কৰ আৰু দেই। এনেকে নহ'ব কিন্তু।"

সন্ধ্যাই হাঁহি আঁতৰিছিল। ট্ৰফীটোত চুমা এটা খাইছিল তাই। কাঞ্চনৰ চহৰখনত তাইৰ প্ৰথমটো স্বীকৃতি। সদায় স্মৰণীয় হৈ ৰ'ব। এইটো দেখাৰ লগে লগেই মনত পৰিব তাইৰ প্ৰেকটিছৰ ধেমালিবোৰ, বিহুৰ দিনা হোৱা ঘটনাবোৰ। "বৰষা পথাৰত" বিহুটো আৱেগ হৈ সদায় জীপাল হৈ থাকিব সন্ধ্যাৰ মনত। সিহঁতৰ গ্ৰুপটোৰ সকলোৰে। ট্ৰফীৰ লগত ফটো, ছেলফি আদি উঠি মেলি সিহঁত অ'পেন ষ্টেজটো পাইছিলগৈ। অলপ পাছতে আৰম্ভ হ'ব জুবিন গাৰ্গৰ সংগীত। সন্ধ্যাহঁতৰ লগৰ সকলো আহি পাইছিল। অভিমন্যু, বিশ্বজিৎ, নিমিষা জুৰি চব। আনকি ময়ূঁৰো আজি নিৰ্দিষ্ট সময়তকৈ আগতেই আহি ৰৈছিলহি। অলপ দেৰিকৈ আহিছিল অনুৰণ। সন্ধ্যাৰ পৰা কিছু আঁতৰত আছিল সি। কাৰণটো তাই নুবুজা নহয়, হয়তো তাৰ মুখত আজিও সন্ধ্যাই বেয়া পোৱা গোন্ধটো। অৱশ্যে Techxetraৰ পাছত তাইৰ পুৰণি ধাৰণা সলনি হৈছিল।

নির্দিষ্ট সময়ত জুবিন দা উঠিছিল ষ্টেজত। গোটেই ইউনিভাৰ্চিটীৰ চিঞৰত ফিল্ডখন সাক্ষী হৈছিল মধুৰ ক্ষণৰ। Techxetraৰ অদিতি সিং শৰ্মা অহাতকৈও আজিৰ ভিৰ আৰু উছাহ দুইটাই বেছি। নহ'বওনো কিয়? জুবিন মানেই যে আৱেগ। "কাৰ পৰশ" গীতটোৰে আৰম্ভ কৰিছিল জুবিনে সংগীত। তাৰ পাছত এটাৰ পাছত এটাকৈ গীত, "মায়া মাথোঁ মায়া", "য়া আলী" আদি। ইয়াৰ পাছতেই যেতিয়া আৰম্ভ কৰিছিল তেওঁৰ অন্যতম শ্ৰেষ্ঠ বিহু,

"ঐ নাহৰ পাতৰ আঁৰতে জিলিকে মোৰ জোন ঐ সাইলাখ তোৰে মুখনি......."

লগে লগে অভিমন্যু, সন্ধ্যা, অনুৰণ, নিমিষা, জুৰিহঁত চব একে দৌৰে ভিৰ ফালি গৈ আগ পালেগৈ। জুবিনৰ সুৰত যেন ফিল্ডৰ কাষৰ নাহৰ কেইজোপাইও হালি জালি নাচিছিল। সন্ধ্যা হঁতেও নাচি নাচি চিঞৰিছিল,

"ঐ নাহৰ ফুলাৰ বতৰ

ঐ নাহৰ মোৰ মৰমৰ

ঐ নাহৰ ঐ নাহৰ

আনিলি তই বহাগৰে খবৰ।"

নাচিবলৈ সুবিধা হওঁক বুলিয়ে সন্ধ্যাই আজি জিনচ আৰু স্পৰ্টিংটো পিন্ধি আহিছে। নাহৰ বিহুটোত তাই এনেই ৰ'ব নোৱাৰে। তাতে গাইছে সমুখত জুবিন দাই। আৰু কি লাগে। নাচি থকা মাজতে হঠাৎ আহিছিল দপদপীয়া বৰষুণ। কিন্তু আচৰিত, এজনো আঁতৰি যোৱা নাছিল। বৰষুণত তিতি তিতিয়েই সংগীতৰ মায়াত বিভোৰ হৈছিল সকলো তেজীয়ান। জুবিন দাই আৰম্ভ কৰিছিল,

"এজাক বৰষুণে মোক ধুই থৈ গ'ল....."

ইমান দিনৰ ভাগৰ, কষ্ট আজি যেন নাচি নাচি পাহৰাই পেলাইছিল সকলোৱে। কাইলৈৰ পৰা আহিব লগীয়া শূণ্যতাখিনিৰ বাবে যেন আজিয়েই যিমান পাৰে ফুৰ্তিবোৰ আঁচল ভৰাই সাঁচিব সকলোৱে। আজি অনুৰণেও নাচিবলৈ এৰা নাই। এবাৰ তাইৰ ওচৰলৈকো পাইছেহি নাচি নাচি। বৰষুণ লাহে লাহে কমিছিল। জুবিনে ঘোষণা কৰিছিল এইটোৱে অন্তিম গান। লগে লগেই চিঞৰ। এবাৰ উজুটি খাই পৰিবলৈ ধৰা সন্ধ্যাক থাপ মাৰি ধৰিছিল অনুৰণে। ইমানবোৰ মানুহৰ মাজতো যে সি তাইক মন কৰি আছে, সন্ধ্যাই ভবা নাছিল। জুবিনে আৰম্ভ কৰিছিল শেষ গানটো,

Kaushik

"তোমাক দেখা পালে সপোন জাগি উঠে

বুকুখনি হয় তাজমহল,

মন নদী হৈ মৰম সুঁতি বয়

ঢৌবোৰো তাত হয় সাঁথৰ......"

জুবিনৰ লগতে গোটেই ইউনিভাৰ্চিটীয়ে চিঞৰিছিল,

"মন যায়

মন যায়

মন যায়"

ইয়াৰ লগতেই শেষ হৈছিল অনুষ্ঠান। মনবোৰ সেমেকিছিল সকলোৰে। উভতিছিল বুকুত এটা গধূৰ শিল লৈ। কাইলৈৰ পৰা আকৌ আগৰ দৰে ক্লাছ আৰু পৰীক্ষাৰ মাজত চলি যাব জীৱনবোৰ। ব্যস্ততাই ঘেৰিব। ভাৰ্চিটী উইকৰ মাদকতা কেৱল স্মৃতি হৈ ৰৈ যাব। অভিমন্যুহঁত উভতি আহোঁতে দেখিছিল ষ্টেজটোৰ সমুখৰ বননি খিনিতে লেপেট খাই বহি আছিল ময়ূঁৰ। বৰষুণত তিতি সিও জুৰুলি জুপুৰি।

"ঐ, তই নানাচি অকল ইয়াতে থাকিলি ন?"

অভিমন্যুৰ প্ৰশ্নত হাঁহি মাৰি কৈছিল ময়ূঁৰে,

"তহঁতে গান শুনিলি, মই অনুভৱ কৰিলোঁ। গানৰ অনুভৱ।"

"ইয়াৰ কথা যে মোৰ মূৰৰ ওপৰেৰে যায়। ঐ অনুৰণ, ইয়াক লৈ যোৱা। মই সন্ধ্যাক থৈ আহোঁ।"

অনুৰণে ময়ূঁৰক লৈ যোৱাৰ পাছতে অভিমন্যুয়ে সন্ধ্যাক থ'বলৈ আগবাঢ়িছিল সোৱণশিৰীৰ ফালে। বৰষুণ অলপ অলপ দিয়ে আছিল। বৰষুণত তিতি চুলিখিনি লিপিট খাই ধৰিছিল সন্ধ্যাৰ। তাইৰ হাতখন মুঠি মাৰি ধৰি গৈ আছিল অভিমন্যুয়ে। গৈ থকাৰ মাজতে তাই ক'লে,

"ভাৰ্চিটী উইকতো শেষ। এতিয়া তোৰ কথাখিনি কেতিয়া ক'বি মোক?"

"ক'ম। কাইলৈ ক্লাছৰ পাছত ওলাই যাম দুইটা। তেতিয়াই ক'ম তোক চব। হ'ব?"

Kaushik

অভিমন্যুয়ে তাইলৈ চাই ক'লে। সিও বৰষুণত গোটেইটো তিতি গৈছিল।

"হ'ব।" তাই ক'লে।

সোৱণশিৰী পালেহি সিহঁত। সন্ধ্যা যাবলৈ লওঁতেই অভিমন্যুয়ে আকৌ হাতখনেৰে টান মাৰি আনিলে তাইক গাৰ কাষলৈ।

"ঐ গৰু। এৰ।"

"নেৰোঁ।"

"কি নো অ', মাহীহঁতে দেখিলে গালি দিব।"

"দি থাকক।"

"অভি, প্লি----জ।"

তাইৰ এই সৰু ছোৱালীৰ দৰে কথাবোৰ শুনিবলৈকে অভিমন্যুয়ে জোকাই থাকে তাইক। সামান্য হাঁহি ক'লে সি,

"যা, কাইলৈ ক্লাছ শেষ হ'লে গুছি নাযাবি। লগ কৰিবি।"

"অকে" বুলি কৈ ভিতৰলৈ গৈছিল সন্ধ্যা।

Kaushik

ৰুম পাই চিধাই কাপোৰ বোৰ সলাই মেলি দিলে সন্ধ্যাই। গোটেই তিতি শেষ। মূৰটোও টুকিছিল। বৰষুণত তিতা, চৰ্দি নালাগিলেই হৈছে। বিদিশা বা ভাগৰতে সোনকালে শুলেই আজি। সন্ধ্যাই বিচনাতে পৰি মোবাইলটো টিপি আছিল। ঘপকৈ কিবা এটা মনত পৰি অনুৰণলৈ মেচেজ লিখিলে,

"Ajiu khaisila noh tumi?"

অলপ পাছতে তাৰ উত্তৰ,

"O khaisilu"

"Kio khabo lage nu?" তাই দিলে।

"Ekdom olop o, komaisu moi. Logor soboke koisu lahe lahe komam buli."

তাৰ কথাটোত মনটো ভাল লাগিলেও তাই সেইটো লুকুৱাই আকৌ সুধিলে,

"Waah, kio komaisa ba?"

"Kunubai mana korise"

অনুৰণৰ উত্তৰত আকৌ ৰৈ গৈছিল সন্ধ্যা। তাইৰ মনত পৰিছিল, Techxetraৰ পাছত তাইয়ে এদিন কৈছিল,

"এইবোৰ খোৱাটো কমাব নোৱাৰা নে তুমি?"

"ক'তনো সদায় খাঁও? Occasionally আৰু।" সি হাঁহি মাৰি কৈছিল।

"Occasionally ও নো কিয় খাব লাগে। এইবোৰ ভাল নহয়তো।" তাইৰ সুৰত অভিমানো আছিল চাগে।

"হ'ব দিয়া কমাম বাৰু।"

আৰু সেইবাবেই এতিয়া তাইৰ কথায়েই indirectly কৈছে নিশ্চয় সি। কিন্তু কিয়? তাইৰ বেয়া পোৱা, ভাল পোৱা লৈ ইমান কিয় বেছি চিন্তা কৰে অনুৰণে? সি নকমোৱা হ'লেওতো তাই একো কৰিব নোৱাৰে। সন্ধ্যাই ভাবিও পাৰ নাপায়। বন্ধু বহুত পাইছে তাই। কিন্তু অনুৰণ যেন কিছু বেলেগ। কেনেবাকৈ তাৰ মনত তাইৰ প্ৰতি অন্য কিবা নাইতো? সি indirectly ক'লেও সন্ধ্যাই আকৌ সুধিলে,

"Kune mana korise ba?"

অনুৰণে লগে লগেই দিলে,

"Doctor ejone, koise mur liver t kiba problem paise henu"

সন্ধ্যাৰ হাঁহি উঠাৰ লগতে নিজলৈকে খঙো উঠিল। কি কি যে কথাবোৰ ভাবিছিল তাই অনুৰণক লৈ। তাৰ এই বন্ধুত্বক কিয় বেলেগ দৃষ্টিৰে ভাবিছে তাই? এৰা, তাই কোৱাৰ বাবে নহয় অনুৰণে ডাক্তৰৰ পৰামৰ্শ মতে হে কমাম বুলি কৈছে। তাই যে সৰু কথা এটাও বেছি ভাবি দিয়ে মানে। দুই এটা কথা পাতি অনুৰণক "good night" দিলে তাই। শোঁ বুলি মোবাইলটো থৈ লাইট অফ কৰি বিচনাত বাগৰিল সন্ধ্যা।

পাটকাইৰ ছাদত ধোঁৱাৰ মাজৰে এটা কেঁচা হুঁমুনিয়াহ এৰি অনুৰণে দলিয়াই দিছিল মোবাইলটো হাতৰ পৰা। ওচৰৰ ৱালখনতে লাগি পৰিলে বাবে বেছি একো নহ'ল যেনিবা। শেষ হ'বলৈ ধৰা ছিগাৰেটটোৱে আঙুলিটো পুৰিছেহি তাৰ। তথাপি পেলাই নিদি ৰৈ আছে। এই অঙঠা বোৰে বুকুৰ অনুভূতিবোৰো পুৰিব পাৰে নে?

Kaushik

ৰাতি প্ৰায় তিনি মান বাজিছিল। সোৱণশিৰীৰ সকলো টোপনিত লালকাল। এনেতে ফোনৰ ৰিংটোৰ শব্দত টোপনি ভাঙিল সন্ধ্যাৰ। অচিনাকি নম্বৰৰ পৰা ফোন। কোনে কৰিছে এই ৰাতি? ৰিচিভ কৰিলে তাই। সিফালৰ পৰা ভাঁহি আহিল এক নাৰীকণ্ঠ,

"হেল্লো, সন্ধ্যা হয় নে?"

"হয়, কোনে ক'লে?" টোপনিৰ জালতে ওলাওঁ নোলাওকৈ ওলাইছিল সন্ধ্যাৰ মাতটো। সিফালৰ পৰা কৈছিল,

"মই শৰ্মিষ্ঠা, অভিমন্যুৰ গাৰ্ল ফ্ৰেণ্ড।"

শোৱাৰ পৰা উঠি বহিছিল সন্ধ্যা। বাহিৰত আহোঁ আহোঁ কৰা বৰষুণ জাকৰ আগলি বতৰা লৈ মৰা বিজুলীয়ে পোহৰ কৰিছিল এন্ধাৰ কোঠাটো। লগে লগেই আহিছিল কাণ তাল মৰা গাজনি।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 61

জীৱন এনেকুৱাই। কেতিয়াবা যদি আনে ৰ'দালিৰ আশা, কেতিয়াবা দি যায় নিদ্ৰাহীন নিশা। অভিমন্যুৰ লগত ভুল বুজাবুজিবোৰ শেষ হওঁতেই শৰ্মিষ্ঠাৰ মুখত এই কথাষাৰ শুনি সন্ধ্যাই যেন কি ক'ব কিদৰে প্ৰতিক্ৰিয়া দিব একো বুজি পোৱা নাছিল। তাই মনে মনে থকা দেখি শৰ্মিষ্ঠাই আকৌ ক'লে,

"তুমি শুনি আছাতো?"

"কোৱা।" সন্ধ্যাই তাতকৈ বেছি যেন একো ক'ব নোৱাৰিলে।

"শুনা সন্ধ্যা, তোমাৰ নম্বৰটো মই তুমি অভিমন্যুলে ফোন কৰোঁতেই লোৱা। তোমাৰ লগত অলপ কথা পাতিম পাতিম বুলিও পতা হোৱা নাই। সেই কাৰণে এতিয়া কৰিলোঁ। তুমি বেয়া পোৱা নাইতো?"

মাতটোত বহুত চেষ্টা কৰি যে মৰমৰ প্ৰলেপ এটা সানিবলৈ চেষ্টা কৰিছে তাক বুজিবলৈ অসুবিধা নহ'ল সন্ধ্যাৰ। আগৰ দৰেই তাই ক'লে,

"কৈ যোৱা।"

"সন্ধ্যা, অভিমন্যু আৰু মই দুবছৰ ধৰি এটা ৰিলেচনত আছোঁ। সি মোতকৈ এবছৰ ডাঙৰ। মই গোলাঘাটৰেই হয়। এতিয়া নগাঁৱৰ জুনিয়ৰ কলেজ এখনত পঢ়ি আছোঁ। তেজপুৰলৈ যোৱাৰ আগতে সকলো ঠিকেই আছিল। কিন্তু অলপ দিনৰ পৰা সি অলপ সলনি হৈছে। তাৰ মুখত বেছি ভাগ তোমাৰ নাম শুনি থাকোঁ। গতিকে মই ভাবিলোঁ তোমাক খোলা খুলিকৈয়ে কোৱা যাঁওক। সি কৈছে তুমি খুব ভাল ছোৱালী। গতিকে মই জানো তুমি কাৰোবাৰ অন্তৰত আঘাত দিয়াৰ দৰে একো বেয়া কাম নকৰা। আশা কৰোঁ তুমি বুজি পাইছা মই কি ক'ব খুজিছোঁ।"

কথাখিনি কৈ শৰ্মিষ্ঠা অলপ ৰ'ল। সৰু মাতেৰে সন্ধ্যাই ক'লে,

"উম, বুজিছোঁ।"

"বুজিছা যদি বহুত ভাল কথাই। আচলতে কি জানা, অভিমন্যুৰ পাছত এনেও যি টি ছোৱালী পাগল। কিছুমান ছোৱালীকতো জানাই মিঠা মিঠা কথা কৈ নিজকে সতী সাবিত্ৰী দেখুৱাই ল'ৰাবোৰক কেনেকৈ হাত কৰে। তুমি বাৰু তেনেকুৱা নহয়। নহয়তো ন?"

শৰ্মিষ্ঠাই কথাখিনি কোৱাতকৈ যদি চৰ এটাই শোধাই দিলে হেঁতেন তেতিয়াও চাগে অলপ কম কষ্ট হ'লহেঁতেন সন্ধ্যাৰ। ভিতৰৰ খং আৰু কান্দোন খিনি খুব কষ্টৰে চেপি তাই ক'লে,

"চিন্তা নকৰিবা। মোৰ পৰা তোমাৰ আৰু অভিৰ সম্পৰ্কত একো সমস্যা নহয়।"

"অভি? ৱাও! আজিলৈকে চৰ্ট ফৰ্মত মইয়ে মাতি পোৱা নাই। সন্ধ্যা, অভিমন্যু শব্দটো ইমানো টান নহয় নেকি উচ্চাৰণ কৰিবলৈ। নে কি কোৱা।"

এটাৰ পাছত এটাকৈ আঘাত দি গৈছে সন্ধ্যাক। ইচ্ছা কৰা হ'লে সন্ধ্যাইও শুনাব পাৰিলে হয়, কিন্তু নাই। তাই একো নকৈ মাত্ৰ ক'লে,

"ছৰী। অভিমন্যু।"

Kaushik

"আৰু শুনা, এইবোৰ কথা তাৰ আগত নক'বা। জানা ন তাক? সৰু কথাতে ইচ্যু কৰি দিয়ে। আৰু তোমাৰ ইমান ভাল বন্ধু এজনৰ ৰিলেশ্যনছিপত এইদৰে প্ৰব্লেম হোৱাটো তুমি জানো বিচাৰিবা?"

শৰ্মিষ্ঠাৰ কথাত "হ'ব, একো নকওঁ দিয়া" বুলি ফোনটো কাটি দিলে সন্ধ্যাই। ৰুমৰ পৰা গৈ কৰিডৰটোৰ ৰেলিঙত ধৰি ৰ'লেগৈ সন্ধ্যা। কোনো মানুহ নথকা শূণ্য কৰিডৰটোত সন্ধ্যাই চেঁপা কান্দোনৰ শব্দটো প্ৰতিধ্বনিত হৈছিল। সেইটোৱেই আটাইতকৈ অসহ্যকৰ যন্ত্ৰণা, যেতিয়া প্ৰত্যাশাই কৰে প্ৰতাৰণা। ৰেলিঙৰ গ্ৰীলত ধৰিয়ে তললৈ বহি গ'ল সন্ধ্যা। গ্ৰীলখনত আওঁজাই দিলে মূৰটো। চকুৱেদি বৈ আছিল অহৰহ চকুপানী। নাই, তাইৰ এইবাবে দুখ লগা নাই যে অভিয়ে তাইক আকৌ ফাঁকি দিলে। তাইৰ এইবাবে কষ্ট পাইছিল যে এই গোটেই কাহিনীটোত সন্ধ্যাৰ ভূমিকা এজনী ছোৱালীৰ পৰা তাইৰ প্ৰেমিকক কাঢ়ি অনাৰ দৰে হৈছিল। ইমান সস্তীয়া নে সন্ধ্যা? নজনাকৈ হ'লেও শৰ্মিষ্ঠাৰ দৃষ্টিত তাইতো সেয়াই হ'ল। এজনী ছোৱালীৰ বাবে আটাইতকৈ মূল্যৱান সম্পদটোৱে হৈছে স্বাভিমান। সেই স্বাভিমানেই যে আজি ভৰিৰে মোহৰাৰ দৰে হ'ল সন্ধ্যাৰ। বিশ্বাস অবিশ্বাসৰ মাজত তাই দুলি আছিল। তেনেদৰেই পাৰ হৈছিল পুঁৱতি নিশাটো। আকাশত তেতিয়া বেলি অহাৰ যোঁজা চলিছে। ক্ৰমান্বয়ে ৰাঙলী হ'ব লৈছে পূবৰ আকাশ টুকুৰা। এটা ৰাতি নুশুৱাকৈয়ে ৰেলিং ডালৰ তলতে বহিয়েই কটাই দিলে সন্ধ্যাই। পাতল পোহৰটো বিয়পি পৰাত তাইৰ অসহ্য লাগিছিল। হয়, যেতিয়া মনটোৱে এন্ধাৰ হৈ থাকে তেতিয়া বাহিৰৰ পোহৰো অসহ্য লাগে। তাই ৰুমলৈ গৈ আকৌ পৰি দিলে বিচনাতে। কিছু সময় মৰাশৰ দৰে পৰি থকাৰ পাছতে তাইৰ টোপনি গ'ল।

"সন্ধ্যা, ঐ উঠ। ক্লাছ নাযাঁৱ নেকি আজি?"

সময় প্ৰায় চাৰে আঠ বাজিছিল। ব্ৰেক ফাষ্ট কৰিবলৈ প্ৰিয়াই লগ ধৰিবলৈ আহোঁতেহে দেখিলে সন্ধ্যা উঠাই নাই। আগতে চোন নিজেই সোনকালে উঠি গা পা ধুই ৰেডি হৈ থাকে। আজি কি হ'ল?

"ঐ, উঠ আকৌ। দেৰিয়ে হ'ব এতিয়া।"

জোৰকৈ প্ৰিয়াই জোকাৰি দিয়াত সন্ধ্যাই এবাৰ চকু নেমেলাকৈয়ে মাত দিলে,

kaushik

"মই নাযাঁও আজি।"

"কিন্তু..." প্ৰিয়াই কিবা ক'ব খোজোতে এইবাৰ বিদিশাই ক'লে,

"থাকক দিয়া প্ৰিয়া। যোৱা গোটেই সপ্তাহটো কম খন কষ্ট হ'ল নে তাইৰ? আজি যাবলৈ বিচৰা নাই যদি জোৰ নকৰিবা।"

"হ'ব বা।" বুলি কৈ প্ৰিয়া ওলাই গ'ল।

অলপ সময়ৰ পাছত বিদিশাই থাল এখনত ব্ৰেক ফাষ্ট আনি ৰুমত থ'লে। সন্ধ্যাৰ কাষলৈ গৈ মূৰত হাত ফুৰাই ক'লে,

"সন্ধ্যা, ব্ৰেক ফাষ্ট আনি থৈছোঁ। যেতিয়াই উঠ খাই ল'বি।"

তাৰ পাছতে বিদিশাও ওলাই গ'ল ক্লাছলৈ। তাই ভাবিছিল ভাৰ্চিটী উইকৰ ভাগৰতে সন্ধ্যা দেৰিলৈকে শুই ক্লাছ যাবলৈ মন কৰা নাই। কিন্তু কান্দোনেৰে পাৰ কৰা সন্ধ্যাৰ উজাগৰী নিশাটোৰ সাক্ষী হৈ ৰৈছিল খালী উইংটো আৰু ৰেলিং ডাল।

ভাৰ্চিটী উইকৰ নিচা নৌ যাওঁতেই ল'ৰা ছোৱালীবোৰ ব্যস্ত হ'ব লগা হৈছিল ক্লাছৰ মাজত। ইয়াত এইটোৱেই নিয়ম। Techxetra য়েই হওঁক নাইবা ভাৰ্চিটী উইকেই, শেষ মানে শেষ। যন্ত্ৰৰ দৰে পিছদিনাৰ পৰাই ঘূৰি আহিব লাগিব আগৰ দৈনন্দিন সূচীলৈ। শৰীৰৰ ভাগৰতকৈও মনবোৰ বেছি গধূৰ হৈছিল সকলোৰে। ফিল্ডৰ ষ্টেজটো ভাঙি এডাল এডালকৈ বাঁহ জাপি থকাৰ দৃশ্যটোলৈ চাই হুঁমুনিয়াহ এটা কাঢ়ি আগবাঢ়িছিল সকলো ক্লাছলৈ।

সন্ধ্যা নাহে বুলি প্ৰিয়াই কোৱাত অলপ আচৰিত হৈছিল অভিমন্যু। কালিচোন তাক লগ কৰিম বুলি কৈছিল তাই। আজি ক্লাছেই নাহিল যে। সি এবাৰ ফোন মাৰিলে,

"The number you have dialed is switched off"

"ঐ প্ৰিয়া, সন্ধ্যাৰ ফোন চুইছ অফ যে?"

অভিমন্যুয়ে প্ৰিয়াক সোধাৰ লগে লগে জুৰিহঁতে চিঞৰি উঠিল,

"আই ঐ দেহি। সন্ধ্যা নহাৰ বাবে তাৰ মনেই বহা নাই ক্লাছত।"

গোটেই বোৰ গিৰ্জনি মাৰি হাঁহি উঠিল। তেনেকৈয়ে আৰম্ভ হ'ল দিনটো। সন্ধ্যা আৰু দুই এজন ৰেগুলাৰ ক্ষতি কৰা ল'ৰাৰ বাহিৰে বাকী সকলোৱে আছিল ক্লাছত।

Kaushik

বিদিশা যোৱাৰ অলপ সময়ৰ পাছতে সাৰ পালে সন্ধ্যাই। কিন্তু নাই, বিচনাৰ পৰা উঠি আহিবলৈ যেন শক্তি নাছিল তাইৰ। বাহিৰৰ পৃথিৱী খনলৈ যেন ভয় লাগিছিল তাইৰ। মনত পৰিছিল তাইৰ অনুৰাধা শৰ্মা পূজাৰী বাইদেউৱে যে তেখেতৰ চাহেবপুৰাৰ বৰষুণত লিখিছিল,

"পৃথিৱীৰ আটাইতকৈ মধুৰতম শব্দ প্ৰেম , বন্ধুত্ব ,বিশ্বাস সকলোৱেই যদি চলনাৰ সাজ পিন্ধি আহে তেন্তে কাৰ ভৰষাত পৃথিৱীত বাচি থাকিব অতবোৰ মানুহ"

ৰাতিপুৱা পাৰ হৈ দুপৰীয়া হৈছিল। সন্ধ্যা একেদৰেই বিচনাত। বিদিশাই দি যোৱা ব্ৰেক ফাষ্টৰ ৰুটীও তেনেই চেঁচা পৰিল। বুকুৰ শিলটোৰ ভৰত যেন উঠিও আহিব পৰা নাই তাই। কিন্তু শুই থাকিলেই জানো কিবা সলনি হ'ব? হোৱাবোৰ হ'বই, যোৱাবোৰ যাবই। গতিকে সেইবোৰ ভাবি গুণি নিজৰ বৰ্তমানটোক উদাসীন কৰি নিজক কষ্ট দিয়াৰ যুক্তি ক'ত? এসময়ত উঠি আহিল সন্ধ্যা। নাই, তাই পাৰিব। পাৰিবই লাগিব। এইবোৰ কথা কাৰো আগত প্ৰকাশ নকৰে তাই। মাত্ৰ আঁতৰি থাকিব অভিমন্যুৰ পৰা। নিজক নিজে বুজালে সন্ধ্যাই। সময়ৰ লগে লগে এনেকুৱা বহু পৰিস্থিতি জীৱনলৈ আহিবই। কিন্তু সেইবুলি হাৰিতো যাব নোৱাৰি। গাটো ধুই ভাত কেইটা খালেগৈ তাই। বিদিশা বাই দি যোৱা ব্ৰেক ফাষ্টৰ ৰুটী টান হৈ খাব নোৱাৰা হৈছিলগৈ। মেচত থৈ আহিল। এবাৰ লাইব্ৰেৰীলৈকে ওলাই গ'ল তাই অকলেই। পৰীক্ষা পাবহিয়েই, বেছি দিন নাই। তথাপি কোৰ্চৰ কিতাপ পঢ়িবলৈ মন যোৱা নাই। অসমীয়া কিতাপৰ শাৰীটোৰ পৰা এখন আনিলে তাই। ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱৰ সেঁন্দূৰ। এই ব্যক্তিজন সাহিত্যৰ সৰল ভাষাই খুব আকৰ্ষিত কৰে সন্ধ্যাক। তাই পঢ়ি গৈছিল এটাৰ পাছত আন এটা গল্প।

Kaushik

বাহিৰত তেতিয়া সন্ধিয়াৰ এন্ধাৰখিনিয়ে আবেলিটোক বিদায় দিবলৈ সাজু হৈছিল। লাইব্ৰেৰীৰ পৰা ওলাই আহি ৰাতিপুৱাৰে পৰা চুইছ অফ কৰি থোৱা মোবাইলটো অন কৰিলে সন্ধ্যাই। হোৱাটচ এপটো খোলাৰ লগে লগেই মেচেজৰ বৰষুণ। অভিমন্যুৰ বহু কেইটা মেচেজ। মেচেজ কেইটাই যেন বিদ্ৰুপ কৰিছিল সন্ধ্যাক। এটাও উত্তৰ নিদি তাই মাকলৈ ফোন কৰিলে। আজিকালি যিমান কষ্টত থাকিলেও "ঠিকে আছোঁ মা" শাৰীটো কোৱাত অলপো অসুবিধা নহয় সন্ধ্যাৰ। হোষ্টেলবোৰে প্ৰতিজনী ছোৱালী

এইদৰেই সজাই তোলে। ভিতৰৰ পৰা মজবুত কৰি, আলফুলৰ পৰা কঠোৰ লৈকে। মাকৰ লগত কথাখিনি পাতি মহামায়া বুক ষ্টল পালেগৈ সন্ধ্যা। ভাৰ্চিটী উইক বুলিয়েই বহু দিন তাই বকুল দাহঁতৰ ওচৰলৈ আহিবই পৰা নাছিল। এই সন্ধিয়াৰ সময় খিনিত সোমাওঁতেই পোৱা ধূপৰ গোন্ধটোয়ে এনেই যেন মনটো ভাল লগাই দিয়ে। তাইক দেখিয়েই পঢ়ি থকা পেপাৰখন সামৰি দবিয়াই উঠিল বকুল দাই,

"বিহুৱতী হে আমাক আৰু পাহৰিলিয়েই।"

"নাই পাহৰা অ' বকুল দা। জানেই চোন ভাৰ্চিটী উইক বুলি খাবলৈকে সময় পোৱা নাই।"

সন্ধ্যাই হাঁহি মাৰি ক'লে।

কম্পিউটাৰৰ টেবুলত বহি থকাৰ পৰাই প্ৰশান্ত দাই জোকালে সন্ধ্যাক,

"পিছে সিফালে কি খবৰ?"

প্ৰশান্ত দাই অভিমন্যুৰ কথাই সুধিছে বুলি গম পালে যদিও শেঁতা হাঁহি এটা মাৰি বেলেগ বিষয় উলিয়াবলৈ সন্ধ্যাই বকুল দাক সুধিলে,

"খুব মন দি পেপাৰ আছে দেখোন। কিবা গৰম খবৰ আছে নেকি?"

পেপাৰতে চকু কেইটা ৰাখি বকুল দাই কৈ গ'ল,

"খবৰ গৰমেই বুইছ। তিনিমাহৰ পাছতে ইলেকচন। শুনিছোঁ এইবাৰ হেনো আমাৰ আঞ্চলিক দলেও ৰাষ্ট্ৰীয় দলৰ লগত মিত্ৰতা কৰি পৰিৱৰ্তন আনিব। পোন্ধৰ বছৰীয়া একঘেয়ামী শাসন উফৰাবলৈকে এইবোৰ কৌশল বোলে।"

সন্ধ্যাইও ঘৰত শুনিছিল এইবোৰ কথা। বহুতে বুজাই আছিল পৰিৱৰ্তনে আমালৈ কি কি ভাল খবৰ আনিব। বানপানীৰ পৰা বাংলাদেশীলৈকে সকলো সমস্যাৰে ওৰ পেলাব এই পৰিৱৰ্তনে। বকুল দাৰ কথাত তাইও ক'লে,

"ভালেই দিয়ক। সকলোৱে কৈছে, এইখন হেনো এখন খিলঞ্জীয়াৰ চৰকাৰ হ'ব। গতিকে তাত যদি আমাৰ ঘৰৰ দলটোও সোমাই, তেন্তে ভাল কথাই।"

"এই ৰ, কথা মতেই কামবোৰো হ'লেতো ভালেই হয়। পিছে লংকাত গৈ ৰাৱণ নহ'লেই হ'ল আৰু আমাৰ ঘৰৰ বোৰ। তাতে আগৰ দলটোৰ মেইন জনেও এইটো দলত যোগ দিলেগৈ নহয়।"

Kaushik

এইটোও শুনিছে সন্ধ্যাই। পোন্ধৰ বছৰ শাসন কৰা দলটোৰ প্ৰভাৱশালী নেতা এজনে পৰিৱৰ্তন অনা দলটোত যোগ দিয়াৰ কথা। বহুতে কথাটোত বেয়াকৈও কৈছিল, ডলাৰ বগৰী, ইলুটি সিলুটি ইত্যাদি। পিছে বহুতে আকৌ ভালো পাইছিল। তেখেতৰ দৰে দক্ষ নেতা এইটো দলত থাকিলে ভালেই হে। তাতে পৰিৱৰ্তন অনা দলটোৰ মূল মানুহজন আকৌ এসময়ৰ ঘৰৰে ল'ৰা আছিল। গতিকে বুজিব, তেওঁলোকে অসমীয়াৰ দুখ দুৰ্দশাবোৰ বুজিবই।

বকুল দাৰ কথাত হাঁহি হাঁহি সন্ধ্যাই ক'লে,

"লংকালৈতো ৰামো গৈছিল, তেওঁতো ৰাৱণ হোৱা নাছিল। গতিকে চাব চোন এইবাৰ সঁচাকৈয়ে ভাল হ'ব।"

কথা পাতি থাকোঁতেই হঠাৎ দুজন ল'ৰা সোমাই আহিছিল মহামায়ালৈ। তাৰে এজনে ক'লে,

"জেৰক্স হ'ব নেকি?"

সন্ধ্যাই তেতিয়াহে ঘূৰি চাই দেখিলে ল'ৰাদুটা অভিমন্যু আৰু অনুৰণ। অভিমন্যুয়ে সন্ধ্যাক দেখিয়েই চিঞৰাৰ দৰেই ক'লে,

"তই? ক্লাছলৈ নাহ, ফোন কৰিলে নাপাওঁ, মেছেজৰ ৰিপ্লাই নাই। হৈছে কি মানে তোৰ?"

সন্ধ্যাৰ যিমান পাৰে সিমান স্বাভাৱিক হৈ উত্তৰ দিছিল,

"ভাগৰ লাগি আছিল। সেই কাৰণেই আজি ৰেষ্ট ল'লো।"

"কিন্তু সেইবুলি ফোনটোতো...."

অভিমন্যুৰ কথা শেষ নহওঁতেই সন্ধ্যাই বকুল দাক ক'লে,

"বকুল দা, মই গৈ থাকোঁ দিয়ক। আপুনি ইহঁতৰ কিবা জেৰক্স আছে, কৰক। অনুৰণ ৰখা, ঐ অভিমন্যু থাক। যাওঁ মই।"

কাকো একো ক'বলৈ সুযোগ নিদি ওলাই আহিছিল সন্ধ্যা। অনুৰণে চাই ৰৈছিল তাইলৈ আচৰিত হৈ। সন্ধ্যা ওলাই আহিছিল। পিছে পিছে অভিমন্যু আহি Shopping Complex ৰ আগফালে চাইকেল আৰু বাইক থোৱা ষ্টেণ্ডটোৰ সমুখতে তাইক আগভেটি ধৰি সুধিলে,

Kaushik

"হৈছে কি হা তোৰ? আজি অভিৰ পৰা চিধা অভিমন্যু হৈ গ'ল যে?"

"কি হোৱা দেখিলি নো? অভিমন্যুটো উচ্চাৰণ কৰিবলৈ ইমানো টান নহয় দে।"

সন্ধ্যা আকৌ যাবলৈ লৈছিল যদিও অভিমন্যুয়ে আকৌ হাতত ধৰি ৰখালে তাইক,

"তোক যে আজি মই শৰ্মিষ্ঠাৰ কথাবোৰ ক'ম বুলি কৈছিলোঁ। তই নাহিলি যে?"

সন্ধ্যাৰ মন গৈছিল যেন চিঞৰি উঠিব। তাৰ এই ভাওনাবোৰৰ মুখা যেন খুলি দিব। কিন্তু তাৰ সলনি তাই শান্ত সুৰেৰে ক'লে,

"চা অভিমন্যু, এইবোৰ তহঁতৰ পাৰ্ছনেল কথা। তাত মোৰ একো ইন্টাৰেষ্ট নাই। কিবা প্ৰব্লেম হৈছে নিজে ঠিক কৰ।"

"কি ক'লি? তোৰ ইন্টাৰেষ্ট নাই? মোৰ কিবা এটা সমস্যা হ'লে তোৰ একো খাতিৰ নাই? মই কি কোনো নহয় তোৰ?"

সন্ধ্যাক ধৰি জোকাৰি কৈছিল অভিমন্যুয়ে। সন্ধ্যাই কিন্তু একেই শান্ত স্বৰেৰে ক'লে,

"আঁতৰ হ চোন। অভিনয় বস্তুটো মঞ্চতহে ভাল লাগে।"

আচম্বিত দৃষ্টিৰে চাই ৰৈছিল অভিমন্যুয়ে তাইলৈ। সন্ধ্যাই অভিমান কৰিব পাৰে, সন্ধ্যাই খং কৰিব পাৰে কিন্তু এই ধৰণে তাক কোনো দিন তাই উপেক্ষা কৰা নাছিল। সন্ধ্যাৰ বাহুৰ পৰা হাতখন আপোনা আপুনি এৰ খাই গৈছিল অভিমন্যুৰ। বুকুত অযুত প্ৰশ্নৰে তাই যোৱাৰ ফালে চাই ৰৈ গৈছিল সি। মৰমৰ সন্ধ্যাজনী যে হঠাৎ অচিনাকী হৈ পৰিছিল তাৰ বাবে। সঁচাই সলনি হৈ গৈছিল সন্ধ্যা। তাই শুনাকৈ সি এবাৰ চিঞৰিছিল,

"তই বহুত সলনি হৈ গ'লি সন্ধ্যা।"

চকুৰ পতা কেইটা বাৰে বাৰে জপাই ওলাই আহিবলৈ লোৱা চকুপানী খিনিক খুব কষ্টৰে ৰখাই আগবাঢ়িছিল সন্ধ্যা। এৰা, সলনি হোৱাটো গোটেই পৃথিৱীয়ে দেখে ; কিন্তু কাৰণ কোনেও নুবুজে।

(আগলৈ)

#নিৰিবিলি

kaushik

Part 62

আটাইতকৈ কষ্টকৰ কামটো কি জানেনে? আপোনজনৰ চকুত নিজৰ প্ৰতিচ্ছবিখন আৰু হৃদয়ত নিজৰ স্থানৰ দিনক দিনে দ্ৰুত অৱনতি হোৱাটো অসহায় হৈ চাই থকাটো। অভিমন্যুৰ ক্ষেত্ৰটো সেইটোৱেই হৈছিল। সেইদিনা মহামায়াত সন্ধ্যাৰ আচৰিত ব্যৱহাৰ লক্ষ্য কৰাৰ পাছত এদিন দুদিনকৈ বহুদিনেই পাৰ হ'ল। অভিমন্যুয়ে হাজাৰ চেষ্টা কৰি চালে। কিন্তু নাই সন্ধ্যাই যেন কিবা আচৰিত শক্তিৰে তাক আঁতৰাই ৰাখে। তাই ঠিক আঁতৰিও নাথাকে, কেতিয়াবা ক্লাছত অভিমন্যুৰ লগতো বহে। কিন্তু সেই আগৰ আকুলতা অভিমানৰ ঠাইত কেৱল উপেক্ষা। ৰীতা চৌধুৰী বাইদেৱে ঠিকেই লিখিছিল, "উপেক্ষাৰ সমান শক্তি আৰু একো নাই।" সেই শক্তিত অভিমন্যুৰ হাজাৰ প্ৰাৰ্থনাও যেন উফৰি যায়। অনুৰণেও বহুবাৰ চেষ্টা কৰিছিল। সেইদিনা চপিং কম্প্লেক্সৰ পৰা আহিয়েই মেচেজ দিছিল সি,

"Ki hol, akou lagila ni Abhimanyu r logot?"

কিন্তু অনুৰণে ভাবিব নোৱাৰাকৈ সন্ধ্যাই উত্তৰত লিখিছিল,

"Beya napaba Ron, but eitu topic t muk aru eku nuxudhiba. Ketiaba mon gole moi nije kom."

সন্ধ্যাৰ কঠোৰ উত্তৰত অনুৰণেও তাইক দুনাই সোধাৰ সাহস নকৰিলে। এইফালে বুকুৰ মাজত অনবৰতে এটা বিষ লৈ জীয়াই আছিল অভিমন্যু। উশাহটো হে যেন লৈ আছিল মাত্ৰ। কমি আহিছিল হাঁহি ধেমালিবোৰ। অকল ময়ূঁৰৰ লগতেই যি মাজে সময়ে কথা পাতে। বহু চেষ্টা কৰিও সন্ধ্যাক আগৰ দৰে পাব নোৱাৰি লাহে লাহে হতাশা আহিছিল তালৈ। কৰিবও নো কি সি? খং কৰিলে বুজাব পাৰি, অভিমান কৰিলে ভাঙিব পাৰি, কিন্তু উপেক্ষাক কেনেকৈ ভেদিব! দিনবোৰ এইদৰেই পাৰ হৈছিল।

সেইদিনা পাটকাইৰ বাবে ভাল খবৰ। আৰম্ভ হৈছিল হোষ্টেলৰ সকলোৱে আশা কৰি থকা কেন্টিনখন। দেৱা দাই অভিমন্যুক খবৰ দিবলৈ তাৰ ৰুমেই ওলাইছিলগৈ। সিয়েই অনবৰতে দেৱাশীষক "দেৱা দা, কেতিয়া খুলিব কেন্টিন" বুলি কামোৰ দি থাকে। দেৱাশীষে ভাবিছিল কেন্টিন খোলাৰ খবৰ শুনিয়েই অভিমন্যু জাঁপ মাৰি উঠিব। দৌৰি আহি কেন্টিনৰ পৰা কিবা কিনিবও, কিন্তু সেইবোৰ একো নহ'ল। সি মাত্ৰ ক'লে,

"ভালেই হ'ল দিয়ক। এতিয়াৰ পৰা মেগী খাবলে ৰাতি ৰাতি শৰাইঘাটলৈ দৌৰিব নালাগে।"

Kaushik

দেৱাশীষ আচৰিত হৈছিল। সুধিছিলোও কি হৈছে বুলি। কিন্তু অভিমন্যুয়ে "একো নাই" বুলিয়ে আঁতৰি থাকিল।

সেইদিনা ৰাতি প্ৰায় এটা বাজিছিল। অনুৰণ ময়ূঁৰৰ ৰুমত আছিল। কথা পতাৰ মাজতেই অনুৰণে ক'লে,

"অভিমন্যুৰ ৰুমত যাওঁ ব'লা।"

ময়ূঁৰ মান্তি হৈ উঠি আহিল। কিন্তু অভিমন্যু ৰুমত নাই। তাৰ ৰুমমেট প্ৰণয় দাই ক'লে,

"প্ৰায় আধা ঘণ্টা মানেই হ'ল। মই তোমালোকৰ লগত আছে বুলিহে ভাবিছিলোঁ। মোবাইলো ইয়াতে এৰি গৈছে।"

অনুৰণে আচৰিত হৈ ময়ূঁৰক সুধিলে,

"ক'ত গ'ল বাৰু?"

সিহঁতে প্ৰথমে দেৱাশীষৰ ৰুম, তাৰ পিছত বিশ্বজিত, বিনোদ, অমৰ, ৰক্তিম, দ্বীপ সকলোৰে ৰুমত চালে। কিন্তু সি নাই। অনুৰণে নীলাচলৰ আৰিফ আৰু ৰাজদ্বীপ, কাঞ্চনজংঘাৰ প্ৰজ্ঞান, উৎপলহঁতলৈও ফোন মাৰি চালে। ক'তো নাই অভিমন্যু। অনুৰণ চিন্তাত পৰিল। ৰাতি এটা বজাত ক'লৈ গ'ল সি? কিন্তু ময়ূঁৰে "মই জানো সি ক'ত আছে" বুলি পাটকাইৰ বাহিৰলৈ ওলাল। অনুৰণো তাৰ পিছে পিছে গ'ল। সিহঁত গৈ ময়ূঁৰে কোৱা মতেই কাঞ্চনজংঘাৰ সমুখৰ পুলটোত অভিমন্যুক বহি থকা দেখিলে। আঁতৰৰ পৰা তাক দেখিয়েই অনুৰণে ময়ূঁৰক সুধিলে,

"তুমি কেনেকৈ জানিলা সি ইয়াত আছে বুলি?"

"এইখিনিত সন্ধ্যা প্ৰায়েই বহে। সি তাইৰ কথা মনত পেলায়েই ইয়াত বহি আছে।"

ময়ূঁৰে ক'লে। অনুৰণ আগবাঢ়িবলৈ লওঁতেই ময়ূঁৰে ৰখালে,

"নামাতিবা তাক অনুৰণ। থাকক। অলপ সময়ৰ পাছত নিজে আহিব। নহ'লে মই লৈ যামহি। কিন্তু এতিয়া নামাতিবা।"

অগত্যা অনুৰণ আৰু ময়ূঁৰ পাটকাইলৈ উভতিল। অনুৰণে এবাৰ পুলত বহি থকা অভিমন্যুলৈ ঘূৰি চাই ক'লে,

Kaushik

"কি যে হৈ গ'ল ইমান ফুৰ্তিবাজ ল'ৰাটোৰ। বহুত চেষ্টা কৰিলে সি সন্ধ্যাক বুজাবলৈ। কিন্তু তাই যে শুনিবলৈয়ে সাজু নহ'ল।"

ময়ূঁৰে অলপ সময় চিন্তা কৰাৰ দৰে কৰিলে। তাৰ পাছত ক'লে,

"এটা কাম কৰিব পাৰি। কৰিবা?"

"কি কাম?" অনুৰণে বুজি নাপাই সুধিলে। সদায় শান্ত হৈ থকা ময়ূঁৰৰ চকুত অনুৰণে প্ৰথম বাৰৰ বাবে দেখিছিল দুষ্টালি আৰু সাঁথৰ।

পিছদিনা ছেকেণ্ড হাফৰ ক্লাছলৈ অভিমন্যু অহা নাছিল। অনুৰণক সুধিম বুলিও সুধিব নোৱাৰিলে সন্ধ্যাই। সাধাৰণতে অভিমন্যুয়ে ক্লাছ খতি নকৰে, আজি বা কি হ'ল? পিছে অনুৰণক সোধেনো কি বুলি? সি এদিন অভিমন্যুৰ কথা সোঁধোতে যে তাক আৰু নুসুধিবা বুলি কৈছিল তাই। আচলতে অভিমন্যুক আঁতৰাই ৰাখি তাই নিজেও কম কষ্টত থকা নাই। কিন্তু কেতিয়াবা নিজৰ ইচ্ছাৰ বিৰুদ্ধেও মানুহে কাম কৰিবলগীয়া হয়। সন্ধ্যাই সকলো কৰিব পাৰে, কিন্তু কাৰোবাৰ বুকুৰ পৰা ভালপোৱা কাঢ়ি আনি নিজৰ হৃদয় ভৰাব নোৱাৰে। কেতিয়াবা ৰাতি তাইৰ খুব মন যায়, যে অভিমন্যুলৈ ফোন এটা কৰিব। কিন্তু শৰ্মিষ্ঠাৰ কথা মনলৈ অহাৰ লগে লগে তাই ৰৈ যায়। কি কৰিব, জীৱন এনেকুৱাই। যেনেকৈ দিয়ে তেনেকৈ লৈও যায়। অভিমন্যু কিয় নাই অহা জানিবলৈ একো উপায় নথকাৰ বাবে শুই কৰি আছে চাগে বুলি নিজকে প্ৰবোধ দিলে সন্ধ্যাই। এনেও এই ছেকেণ্ড হাফৰ ক্লাছবোৰ সাধাৰণতে কাৰো কৰিবলৈ মন নাথাকে। মাত্ৰ attendanceৰ খাতিৰতহে আহি কলমটিয়াই থাকে চবেই।

ক্লাছটো শেষ হ'ল। প্ৰিয়াহঁতৰ লগত লেকচাৰ মাৰি মাৰি তললৈ নামি আহি আছিল সন্ধ্যা। এনেতে অনুৰণে ফোনত কথা পাতি পাতি দৌৰা দৌৰিকৈ ষ্টেপ কেইটাৰে নামি গ'ল। সি ফোনত কৈ গৈছিল,

"এক্সিডেন্ট? কেতিয়া? এতিয়া ক'ত আছে? আজিতো ক্লাছো আহা নাই সি।"

বুকুখন চিৰিংকৈ গৈছিল সন্ধ্যাৰ। ক্লাছলৈ নহা কাৰোবাৰ এক্সিডেন্ট? কোন? কেনেবাকৈ অভি নহয়তো? তাই আৰু ৰ'ব নোৱাৰিলে। কথাৰ মহলা মাৰি এখোজ দুখোজকৈ আহি থকা প্ৰিয়া, জুৰিহঁতক তাতে এৰি একেলৰে ডিপাৰ্টমেণ্টৰ তল পালেহি

Kaushik-

সন্ধ্যা। আহি দেখে অনুৰণে লৰা লৰিকৈ চাইকেল ষ্টেণ্ডৰ পৰা চাইকেল উলিয়াইছে। তাই ওচৰ চাপি সুধিলে,

"কাৰ এক্সিডেণ্ট হৈছে অনুৰণ?"

"অভিমন্যুৰ।"

"কি?" সন্ধ্যাৰ মূৰত যেন সৰগহে ভাঙি পৰিছিল। ভৰিৰ পৰা মূৰলৈকে কঁপিবলৈ লৈছিল তাই। অভিমন্যুৰ এক্সিডেণ্ট? কেনেকৈ ক'ত হ'ল সুধিবলৈ খুজিছে তাই। কিন্তু মুখেৰে যেন শব্দ ওলোৱা নাই। অনুৰণে নিজেই ক'লে,

"নিৰিবিলিৰ ফালে ভিচি ছাৰৰ ঘৰৰ কাষৰ টাৰ্নিংটোতেই সিফালৰ পৰা স্পীডত অহা বাইক এখনে খুন্দিয়ালে তাক। বাইকখন গুছিয়েই গ'ল। SOE ৰ কোনোবা ষ্টুডেণ্টেহে দেখিলে। এম্বুলেন্সক খবৰ দিছে যদিও আহি পোৱা নাই। এতিয়া নিৰিবিলিৰ বেঞ্চ এখনতে বহুৱাই থৈছে। ময়ূঁৰো আছে লগতে।"

এই কেম্পাছৰ ভিতৰত বাইক চলোৱাটো পাৰিলে বন্ধই কৰিব লাগে বুলি এদিন বকুল দাইও কৈছিল। কিছুমানে ইমান জোৰেৰে চলাই। ইমান সৰু কেম্পাছটো, চাইকেল খনেই যথেষ্ট। কিন্তু নাই, আমাৰ ৰজাহঁতে বাইকতহে ঘূৰিব। সন্ধ্যাৰ মূৰটো আচন্দ্ৰাই কৰিছিল। কোনোমতে তাই ক'লে,

"তোমাৰ চাইকেলতে মোকো লৈ ব'লা না অভিৰ ওচৰলে।"

"তুমি যাবা জানো?"

অনুৰণৰ প্ৰশ্নত থতমত খাইছিল সন্ধ্যাই। ইমান দিন ধৰি তাইতো তাৰ পৰা আঁতৰিয়ে চলিছিল। এতিয়া যাব জানো? ধেৎ কি ভাবিছে তাই? অভিমন্যুৰ এক্সিডেণ্ট হৈছে। এতিয়া কি এইবোৰ মান অভিমানৰ সময় নেকি? সন্ধ্যা মনে মনে থকা দেখি অনুৰণে আকৌ সুধিলে,

"কি হ'ল সন্ধ্যা? যাবা নে?"

"অঁ যাম। ব'লা।" বুলি অনুৰণৰ চাইকেলৰ পিছৰ ছিটত বহিল সন্ধ্যা। তাই নেদেখাকৈ মিচিকিয়া হাঁহি এটা মাৰি চাইকেলৰ পেডেল মাৰিলে অনুৰণে। ডিপাৰ্টমেণ্টৰ পৰা নিৰিবিলিলৈ খোজ কাঢ়িলে মাত্ৰ এক মিনিটৰ বাট। ডিপাৰ্টমেণ্টটোৰ পৰা ওলাই বাওঁফালে ঘূৰি টাৰ্নিংটো পাৰ হৈ চিধাকৈ অলপ আহিলেই ভিচিৰ ঘৰ আৰু তাৰ

Kaushik

সমুখতেই নিৰিবিলি। কিন্তু সন্ধ্যাৰ যেন সেইকণো খোজকঢ়াৰ ধৈৰ্য্য নাই। অনুৰণৰ চাইকেলত আহি এক মিনিট নহওঁতেই নিৰিবিলি পালেহি সিহঁত। একেবাৰে মূৰৰ বেঞ্চখনত বহি আছিল ময়ূঁৰ আৰু অভিমন্যু। ৰাস্তাতে অনুৰণক এৰি সন্ধ্যা নামি গৈছিল পুখুৰীটোৰ পাৰৰ ওখ গছবোৰৰ তলত থকা বেঞ্চবোৰৰ একেবাৰে শেষৰ বেঞ্চ খনলৈ। তাই যোৱাৰ লগে লগে ময়ূঁৰে ক'লে,

"সন্ধ্যা, তুমি অলপ ইয়াৰ লগতে বহা। মই এম্বুলেন্স খন কিয় অহা নাই খবৰ কৰোঁ।"

তাৰ পাছতে সি ৰাস্তালৈ উঠি গ'ল। ৰাস্তাত ৰৈ থকা অনুৰণৰ চাইকেলত বহিল।

"বাহিৰে শান্ত দেখুৱাই ভিতৰি কম দুষ্ট নহয় আকৌ তুমি।"

পেডেল মাৰিবলৈ লৈ অনুৰণে হাঁহি হাঁহি ময়ূঁৰক ক'লে। ময়ূঁৰেও হাঁহি মাৰি উত্তৰ দিলে,

"আৰে ছলনাতো কৃষ্ণইও কৰিছিল। কিবা এটা ভাল হ'বলৈ অলপ ফাঁকি দিয়াটো একো বেয়া নহয়।"

সিহঁত আগবাঢ়িছিল পাটকাইৰ ফালে।

Kaushik

দুপৰৰ বেলিটো নিৰিবিলিৰ বাকী কেইখন বেঞ্চত পৰিছিল যদিও সন্ধ্যাহঁত বহি থকা বেঞ্চখনত ওখ গছজোপাৰ ছাঁ পৰি আছিল। নিৰিবিলিৰ সমুখৰ পুখুৰীটোত কলকল শব্দ এটা হৈ আছিল। শাৰী শাৰী গছ কেইজোপাত থকা চৰাই দুটামানে চি চি কৰি এটা মিঠা কলৰৱৰ সৃষ্টি কৰিছে।

"ক'ত দুখ পালি?"

নীৰৱতা ভাঙি সন্ধ্যাই অভিমন্যুক সুধিলে। ডিঙিলৈকে উজাই অহা কান্দোন খিনি জোৰকৈ বুকুতে হেঁচা মাৰি থৈছিল তাই। নিজৰ বুকুৰ ফালে আঙুলিয়াই অভিমন্যুয়ে ক'লে,

"ইয়াত।"

সন্ধ্যাৰ হাতেৰে তাৰ চাৰ্টৰ ওপৰতে তাৰ বুকুখনত হাত বোলাই সুধিছিল,

"অলপ সাৱধানে চলিব নোৱাৰ নেকি?"

"সাৱধানেই হৈ আছিলোঁ। কি হ'ল জানো।"

অভিমন্যুৰ কথাত সন্ধ্যাই একো নক'লে। অলপ সময় নীৰৱতাৰ মাজেৰেই পাৰ হ'ল। চি চি চৰাইৰ শব্দটো বাঢ়িছে। শালিকা এটা উৰি সন্ধ্যাহঁতৰ কিছু আঁতৰতে ৰৈছিলহি। এনেতে অভিমন্যুয়েই আকৌ ক'লে,

"ঐ, শুন না।"

"ক"

"মোক এবাৰ অভি বুলি মাত না।"

তাৰ কথাত এইবাৰ নিজক ৰখাব নোৱাৰিলে সন্ধ্যাই। হুকহুকাই কান্দি উঠিছিল তাই। চকুপানীবোৰ বৈ আহি অভিমন্যুৰ হাতটোও তিয়াই দিছিল। নিৰিবিলিৰ শান্ত বতাহ জাক ভেদি বিয়পি গৈছিল সন্ধ্যাৰ কান্দোনৰ শব্দ। শালিকাটো উৰি গৈছিলগৈ।

"ঐ পাগলী। কচোন মোক। কিয় এনেকুৱা কৰি আছ অ' তই? কি ভাল পাৱ মোক কষ্ট দি কচোন।" অভিমন্যুৰ মাতটোও কঁপিছিল। সন্ধ্যাই কান্দোনৰ সুৰেৰেই ফেঁকুৰি কৈছিল তাক,

"কষ্ট? অকল তোৰহে কষ্ট হৈছে নেকি হা? মোৰ কি হোৱা নাই? মই কি বহুত সুখত আছোঁ বুলি ভাবিছ নেকি তোৰ পৰা আঁতৰি থাকি?"

"তেন্তে ক মোক কি হৈছে। নক'লে কেনেকৈ জানিম বাৰু মই?"

অভিমন্যুৰ প্ৰশ্নত সন্ধ্যাই কৈ পেলাইছিল সকলোবোৰ। ইমান দিনে কাকো নকওঁ বুলি বুকুত চেঁপি ৰখা সকলো কথা এটা এটাকৈ উলিয়াই দিছিল তাৰ আগত। সেইদিনা ৰাতি শৰ্মিষ্ঠাই ফোন কৰি যি যি কৈছিল গোটেই খিনিয়ে অভিমন্যুক কৈ গৈছে সন্ধ্যাই। কথাখিনি কৈ শেষ হোৱাৰ পাছত খঙত জ্বলি উঠিছিল অভিমন্যু,

"অভদ্ৰামিৰ এটা সীমা থাকে। তাই কি বুলি ভাবিছে নিজক? কি সাহসত তাই এনেকৈ কৈছে তোক? এতিয়াই ফোন কৰি দি আছোঁ মই তাইক।"

অভিমন্যুয়ে ফোনটো কৰিবলৈ লওঁতেই সন্ধ্যাই ৰখালে,

Kaushik

"ৰ, আগতে মোক ক তই গোটেই কথাবোৰ। শৰ্মিষ্ঠাই কোৱা কথাবোৰ কি একেবাৰেই মিছা নেকি?"

সন্ধ্যাৰ প্ৰশ্নত অভিমন্যুয়ে খুলিছিল তাৰ জীৱনৰ দুবছৰ আগৰ এটি কাহিনী।

শৰ্মিষ্ঠা শইকীয়া। অভিমন্যুহঁতৰ ঘৰৰ ওচৰৰে এজনী মৰম লগা ছোৱালী। তাতকৈ এবছৰ সৰু। ক্লাছ ফাইভৰ পৰা সি আৰু শৰ্মিষ্ঠা একেখন স্কুলতে পঢ়া। অভিমন্যুৰ তাইৰ প্ৰতি ভালপোৱাৰ ভাব আছিল আগৰে পৰাই। তাৰ লগৰ খিনিয়েও এই কথা জানে। কিন্তু সাহসৰ অভাৱত তাইক কোৱাই নহ'ল তাৰ। কিন্তু শেষত সি মেট্ৰিক পাছ কৰি হায়াৰ চেকেণ্ডাৰীত নাম লগোৱাৰ পাছতে এদিন ফেচবুকতে তাইক কৈ পেলাইছিল তাৰ মনৰ কথাষাৰ। আৰু তাইও মানি লৈছিল অভিমন্যুৰ প্ৰেমৰ প্ৰস্তাৱ। শৰ্মিষ্ঠা তেতিয়া ক্লাছ টেনত। গতিকে সিহঁতৰ সঘনাই লগ পোৱা নহয়। তাৰ মাজতো কেতিয়াবা তাই টিউচন যাওঁতেই সি গৈ লগ কৰে। সকলো ঠিকেই চলি আছিল। মেট্ৰিক পাছ কৰাৰ পাছত শৰ্মিষ্ঠা পঢ়িবলৈ গৈছিল নগাঁৱৰ এখন নামজ্বলা জুনিয়ৰ কলেজত। নগাঁৱতেই পিজি এটাত থাকি ল'লে তাই। সিহঁতৰ লগ পোৱা আৰু কমি গ'ল। তথাপি অভিমন্যুয়ে ফোনতে যিমান পাৰে খবৰ ৰাখিছিল তাইৰ। পিজিত প্ৰথমে মিলিবলৈ অসুবিধা পোৱা শৰ্মিষ্ঠাক মৰমেৰে বুজাইছিল অভিমন্যুয়ে। সময় পাৰ হোৱাৰ লগে লগে শৰ্মিষ্ঠা অধিক ব্যস্ত হৈ পৰিছিল নিজৰ পৃথিৱীত। অভিমন্যুয়ে প্ৰথমতে ভাল পাইছিল। হওঁক তেও তাই তাত মিলিব পাৰিছে বুলি সুখী হৈছিল সি। কিন্তু লাহে লাহে তাৰ প্ৰতি যেন অনীহা প্ৰকাশ কৰিবলৈ ল'লে শৰ্মিষ্ঠাই। যেন অভিমন্যুয়ে ফোন কৰিলেই তাইৰ অশান্তি লাগে। নানানটা অজুহাত দেখুৱাবলৈ ল'লে। অভিমন্যুয়ে বাৰে বাৰে সুধিছিল তাইক কি হৈছে, কিন্তু তাইৰ সেই অৱজ্ঞাৰ সুৰ। অভিমন্যুৰ হায়াৰ চেকেণ্ডৰীৰ ফাইনেল পৰীক্ষা ওচৰ পাইছিলহি। তাৰেই কেইদিন মানৰ আগত নিষ্ঠুৰ ভাৱেৰে শৰ্মিষ্ঠাই কৈছিল,

"মই আৰু এইটো ৰিলেচনত থাকিব নোৱাৰিম।"

পাগলৰ দৰে হৈছিল অভিমন্যু। বাৰে বাৰে সুধিছিল তাই কিয় এনেকুৱা কৰিছে। শৰ্মিষ্ঠাই যিদৰে কয় সেইদৰেই সি থাকিবলৈ মান্তি হৈছিল। লাগিলে সি কেতিয়াও তাইক ফোন কৰি আমনি নিদিয়ে। মাত্ৰ তাই যেন তাক এৰি নাযায়। কাৰণ অভিমন্যুয়ে সঁচাকৈ ভাল পাইছিল শৰ্মিষ্ঠাক। শেষত শৰ্মিষ্ঠাই নিৰ্লজ্জ ভাৱে স্বীকাৰ কৰিছিল,

"মই নগাঁৱৰে অম্লান নামৰ ল'ৰা এজনক ভাল পাওঁ।"

চকুৰে একো মণিব নোৱাৰা যেন হৈছিল অভিমন্যুয়ে। কেতিয়াও ভবা নাছিল তাৰ মৰমৰ শৰ্মিষ্ঠাই তাৰ লগত এনেকুৱা কৰিব বুলি। কিন্তু টু শব্দ এটা নকৰাকৈ সি বিদায় দিছিল তাইক। মাত্ৰ "ভালে থাকা" বুলি কৈয়ে আঁতৰি আহিছিল তাইৰ জীৱনৰ পৰা। সমুখত ফাইনেল পৰীক্ষা। সকলো আৱেগ অনুভূতি বুকুতে চেঁপা মাৰি থৈ পৰীক্ষাত বহিছিল সি। কাকো একো কোৱা নাছিল। নীৰৱে সকলো সহি গৈছিল। তাৰ পাছতেই তেজপুৰ বিশ্ববিদ্যালয়ত ছিট পালে সি। খবৰটো পাইয়ে শৰ্মিষ্ঠাই ফোন কৰিছিল তালৈ। নিজৰ ভুলৰ বাবে ক্ষমা বিচাৰি বন্ধু হৈ থকাৰ প্ৰস্তাৱ দিছিল তাই। অভিমন্যুয়েও একো বিশেষ নাভাবি মানি ল'লে। তাৰ লগে লগেই আৰম্ভ হৈছিল তাৰ অশান্তিবোৰ। শৰ্মিষ্ঠাই অম্লানৰ লগত কাজিয়া লাগিলেই আগৰ দৰে ঘন্টাৰ পাছত ঘন্টা ধৰি কথা পাতিবলৈ লাগি যায় অভিমন্যুৰ লগত। কিন্তু কাজিয়া ভাল হোৱাৰ লগে লগেই আকৌ তাৰ মেছেজৰো উত্তৰ নিদিয়ে। কেতিয়াবা তাক নগাঁৱলৈ মাতি পঠাই, সম্পৰ্কটো নতুনকৈ আৰম্ভ কৰোঁ বুলি। কিন্তু তৰ্কা তৰ্কি আৰু কাজিয়াৰ অন্তত একো সিদ্ধান্ত নহয়গৈ। শৰ্মিষ্ঠা আজিও অম্লানৰ লগতেই সম্পৰ্কত আছে। মাত্ৰ অভিমন্যুকো তাই হাতৰ মুঠিত ধৰি ৰাখিছে। সন্ধ্যাৰ সান্নিধ্য পাই তাক হেৰুৱাৰ ভয়ত তাই সন্ধ্যাক মিছা কথা কৈ তাইক অভিমন্যুৰ পৰা আঁতৰোৱাৰ চেষ্টা কৰিছিল। বেচেৰা অভিমন্যুয়ে প্ৰথম প্ৰেমৰ খাতিৰত আজিও নিজে কষ্টত থাকিও তাইৰ লগত কথা পাতি আছে। তাৰে সম্পূৰ্ণ লাভ লৈ আছিল শৰ্মিষ্ঠাই। কথাখিনি শেষ কৰি প্ৰমাণ হিচাপে সন্ধ্যাক শৰ্মিষ্ঠাৰ মেছেজ, কল ৰেকৰ্ড সকলো শুনাইছিল। সন্ধ্যাৰ বাবে পিছে এইবোৰ প্ৰমাণৰ প্ৰয়োজনেই নাছিল। কথাবোৰ কৈ থাকোঁতে অভিমন্যুৰ চকুৰ পৰা বৈ অহা চকুপানী খিনিয়েই তাইৰ বাবে যথেষ্ট প্ৰমাণ। তাইৰ খং উঠিছিল নিজলৈ, তাইক ইমান মৰম কৰা অভিমন্যুক বিশ্বাস নকৰি এজনী অচিনাকী ছোৱালীক বিশ্বাস কৰিলে তাই। ঘিণ লাগিছিল শৰ্মিষ্ঠালৈ। কি আচৰিত এইবোৰ ছোৱালী? কেনেকৈ কাৰোবাক ব্যৱহাৰ কৰিব পাৰে নিজৰ স্বাৰ্থত? মানুহ মৰমৰ বাবে আৰু বস্তু ব্যৱহাৰৰ বাবে। কিন্তু এই শৰ্মিষ্ঠাহঁতৰ নিচিনা এচামে বস্তুক মৰম কৰে আৰু মানুহক ব্যৱহাৰ কৰে। খঙত জ্বলি উঠিছিল সন্ধ্যা। তাইৰ স্বাভিমানত আঘাত কৰি ইমান সহজতে সাৰি যাবলৈ দিব নোৱাৰি শৰ্মিষ্ঠাক। কিন্তু তাৰ আগত অভিমন্যুৰ মতামতৰ প্ৰয়োজন। সেইবাবেই সন্ধ্যাই তাক স্পষ্টকৈ সুধিলে,

"তই এতিয়া কি ভাবিছ? এনেকৈ সদায় নিজক ব্যৱহাৰ কৰিবলৈ এৰি দিবি নে জীৱনটোত আগবাঢ়িবি?"

kaushik

"মই মুভ অন কৰিম বুলিয়ে সেইদিনা তাইক ফোন কৰি কৈছিলোঁ যে তাইৰ এই খেল খনত মই আৰু থাকিব নোৱাৰোঁ। মিছা আশা এটা লৈ কাৰোবাৰ বয় ফ্ৰেণ্ডৰ কাজিয়া ঠিক কৰিবলৈ মই নিজক কষ্ট দিব নোৱাৰোঁ। মই সেইবুলি কোৱাৰ খণ্ডতে তাই তোক ফোন কৰিলে।" অভিমন্যুয়ে ক'লে।

"তই সঁচাকৈ চিওৰ নে যে তই তাইক নিজৰ জীৱনৰ পৰা সম্পূৰ্ণৰূপে উলিয়াই পঠাব খোজ?" সন্ধ্যাই আকৌ সুধিলে। অভিমন্যুয়েও দৃঢ়তাৰে "চিওৰ" বুলি ক'লে। বচ, হৈ গ'ল। এতিয়া সন্ধ্যাই দেখুৱাব শৰ্মিষ্ঠাক যে তাই কোন হয়। বেচেৰীয়ে সন্ধ্যাক চিনিয়েই পোৱা নাছিল। বহুত কন্দুৱালে তাই সিহঁতক। এতিয়া তাইৰ পাল। চকুপানী মচি সন্ধ্যাই নিজৰ ফোনৰ পৰা শৰ্মিষ্ঠালৈ ফোন লগালে,

"হেল্লো শৰ্মিষ্ঠা, ভাল নে?"

"অঁ সন্ধ্যা, কোৱা।" তাইৰ মাতটো শুনিয়েই ঠিকচে জাৰিবলৈ মন গৈছিল যদিও বহুত ধৈৰ্য ধৰি সন্ধ্যাই ক'লে,

"বাকী কোৱা অভিমন্যুৰ লগত কেনে চলি আছে? তুমি কোৱাৰ পৰাই মই তাৰ পৰা আঁতৰি আছোঁ।"

"অ অ। ভালেই চলি আছে দিয়া। থেংক ইউ দেই তোমাক।" শৰ্মিষ্ঠা অলপ আচৰিত হোৱা যেনো হৈছিল। সন্ধ্যাই আকৌ সুধিলে,

"হেৰি তুমিতো নগাঁৱতে পঢ়ি আছা ন? তাৰে মোৰ এজন কাজিন আছে তুমি চিনি পাব পাৰা।"

"কি নাম নো?" শৰ্মিষ্ঠাৰ মাতত বিৰক্তি।

"অম্লান। চিনি পোৱা নেকি?"

সন্ধ্যাৰ কথাত এইবাৰ থতমত খালে শৰ্মিষ্ঠাই। মুখেৰে মাত্ৰ জোৰেৰে "কি?" বুলি হে ওলাল। সন্ধ্যাই হাঁহি মাৰি ক'লে,

"অ, সি মোৰ কাজিন হয়। তুমি চিনি পাবও পাৰা। মই পিছে তাক সোধা নাই, সুধিম ৰ'বা। পিছে তোমাৰ একো ফটো চটো হে নাই মোৰ তাত। খালী তুমি সিদিনা মোলৈ কৰা আৰু এতিয়া মই তোমালৈ কৰি থকা ফোনৰ ৰেকৰ্ডিং দুটাহে আছে। মানে

Kaushik

মোৰ ফোনটোত অটমেটিক ৰেকৰ্ড হয় যে, সেইকাৰণে। এই দুটাকে পঠাই তাক সুধিম ৰ'বা মাতটো চিনি পাইছে নে নাই। নে কি কোৱা?"

সন্ধ্যাৰ কথা কোৱাৰ সুৰ শুনি অভিমন্যুৰ হাঁহিত অৱস্থা নাই। সি সপোনতো ভবা নাছিল যে তাই এনেকুৱা এটা কাম কৰিব। সিফালে শৰ্মিষ্ঠাৰ যেন তলৰ মাটি নোহোৱা হৈছিল। স্বৰে ঘমাদি ঘামিছিল তাই। বেছি বুদ্ধি দেখুৱাবলৈ গৈ নিজৰে বিপদ চপাই ল'বলৈ কিহে পাইছিল বাৰু? তাই একো নোকোৱা দেখি সন্ধ্যাই আকৌ ক'লে,

"কি হ'ল একো নক'লা যে? ৰ'বা মই অল্লানক কনফাৰেন্সত লওঁ নহ'লে।"

"সন্ধ্যা, কি ফাল্টু কথা ক'বলৈ আহিছা তুমি এইবোৰ? ৰেকৰ্ডিং শুনাম বুলি কাক ব্লেকমেইল কৰিছা তুমি?"

শৰ্মিষ্ঠা এইবাৰ চিঞৰি উঠিল। সন্ধ্যাই কিন্তু একেই শান্ত সুৰতেই ক'লে,

"Chill, ইমান কিয় চিঞৰিছা? আৰে তুমি মোৰ ইমান ভাল ফ্ৰেণ্ড অভিৰ অহ চৰী, অভিমন্যুৰ গাৰ্ল ফ্ৰেণ্ড। চ' মোৰ কাজিনটোৰ লগত চিনাকি হোৱাত আপত্তি কি? ভাল হে, নগাঁৱত কিবা প্ৰব্লেম হ'লে সি তোমাক হেল্প কৰিব পাৰিব।"

সন্ধ্যাৰ কথাত শৰ্মিষ্ঠাতো বাদেই অভিমন্যুও হতভম্ব হৈছিল। এইজনী সন্ধ্যায়েই নে? হয়, তাই সন্ধ্যায়েই। এজনী ছোৱালী যিদৰে সকলো সময়তে সহনশীলা বসুমতী হ'ব পাৰে, স্বাভিমানত আঘাত লাগিলে সংহাৰিনী দূৰ্গাও হ'ব পাৰে। সন্ধ্যাৰ শেষৰ কথাটোত শৰ্মিষ্ঠাই আকৌ চিঞৰি উঠিল,

"তুমি মোক চিনি পোৱা নাই সন্ধ্যা ৰাগিণী।"

এইবাৰ ধৈৰ্যৰ বান্ধ ছিগিল সন্ধ্যাৰ। নিৰিবিলিৰ বেঞ্চখনৰ পৰা থিয় হৈ ডাঙৰ মাতেৰে চিঞৰি উঠিল,

"আৰু তই মোক চিনি পোৱা নাই। কি ভাবিছ হা? তই এনেকৈ দম দিবি আৰু মই ভয়ত পেঁপুৱা লাগি বহি থাকিম? তহঁতৰ দৰে ছোৱালীবোৰ আচলতে প্ৰেমিকাৰ নামত কলংক। তহঁতবোৰৰ কাৰণে কিছুমান ল'ৰাই গোটেই ছোৱালী জাতিক ধৰি গালি দিয়ে। মানুহৰ আৱেগৰ লগত কেনেকৈ খেলিব পাৰ হা তহঁতে? ছিহ, লাজ নালাগে? এটাৰ লগত প্ৰেমৰ সম্পৰ্কত থকাৰ পাছত আকৌ আন এটালৈ মন? দুখন হাতেৰে দুটা মাছ ধৰিবি মানে? এইটো কাম যদি কোনোবা ল'ৰাই কৰে, তেন্তে তহঁতৰ নিচিনা কেইজনীয়েই খুব চিঞৰিবি লম্পট, কেৰেক্টাৰ লেচ ব্লা ব্লা। কিন্তু নিজৰ

Kaushik

বেলিকা? বাহিৰে ইমান মহাসতী দেখুৱাই ভিতৰি এইবোৰ কি অসভ্যালি? কি বুলি ভাবিছ অভিক? তোৰ চাকৰ সি? তই বয় ফ্ৰেণ্ডৰ লগত কাজিয়া লাগিবি আৰু সি তোৰ মন ভাল লগাব? এইটো লাষ্ট ৱাৰ্নিং শৰ্মিষ্ঠা। ইয়াৰ পাছত যদি অভিলৈ ফোন কৰ, তোৰ দুয়োটা কল ৰেকৰ্ডিং অল্লান কি গোটেই ছচিয়েল মিডিয়াত ভাইৰেল কৰিম মই।"

খণ্ডত একে উশাহেৰে কথাখিনি কৈ ফোঁপাই পেলাইছিল সন্ধ্যাই। তাই আজিলৈকে কাকো ইমান বেয়া ব্যৱহাৰ কৰি পোৱা নাই। কিন্তু শৰ্মিষ্ঠাৰ নিচিনা ছোৱালীবোৰ ইয়াৰেই যোগ্য। শৰ্মিষ্ঠাই সপোনতো ভবা নাছিল যে কোমল মাতৰ মৰমিয়াল সন্ধ্যাজনীৰ ভিতৰত এই জুই হেন কঠোৰ ছোৱালী এজনীও আছে। তাই ভয় ভয়কৈ উত্তৰ দিলে,

"আই এম ৰিয়েলি ছৰী সন্ধ্যা। প্লিজ এইবোৰ নকৰিবা। মই মানিছোঁ মোৰ ভুল হৈছিল। অভিমন্যুক ইউজ কৰিছিলোঁ মই। প্লিজ মোক ক্ষমা কৰি দিবা। মই তাক কেতিয়াও ডিষ্টাৰ্ব নিদিও আৰু।"

শেষৰ ফাললৈ মাতটো ফেঁকুৰিছিল শৰ্মিষ্ঠাৰ। সন্ধ্যাৰো মনটো কুমলিল। পাতল সুৰেৰে ক'লে,

"হ'ব। বুজি পাইছা যেতিয়া সেইয়াই বহুত। হাতত যিখিনি আছে সেয়া লৈয়ে আগবাঢ়া জীৱনটোত। আৰু ব্যৱহাৰ বস্তুক কৰিবা, মানুহক নহয়। খেল পুতলাৰ লগত খেলিবা, আৱেগৰ লগত নহয়।"

ফোনটো কাটিলে তাই।

অভিমন্যুয়ে হতবাক হৈ চাই আছিল সন্ধ্যালৈ। ইমান শক্তি ক'ত পালে এই আঁজলী জনীয়ে। তাৰ মুখৰ ভাঁজ দেখি সন্ধ্যাই সুধিলে,

"ক্যা হুৱা বেটা?"

অভিমন্যু তাইৰ কাষ চাপি ক'লে,

"মা কচম, তোৰ এইখন মুখেই নে? ইমান ধাৰ যে?"

"ধাৰ দি থাকিবলৈ তোৰ নিচিনা শিল এটাও আছে যে।"

Kaushik

সন্ধ্যাৰ কথাত জোৰকৈ হাঁহি উঠিল অভিমন্যুয়ে। দুপৰৰ বেলিটো আহি পশ্চিমত মিলিছিল। আকাশখন হৈ পৰিছিল হেঙুলীয়া। এনেতে হঠাৎ সন্ধ্যাৰ এক্সিডেন্টৰ কথা মনত পৰিল। ক'তা এম্বুলেন্স আনিবলৈ যোৱা ময়ূঁৰৰ চোন দেখা দেখিয়েই নাই।

"ঐ, তোৰ এক্সিডেন্ট হৈছিল যে? ক'তা এম্বুলেন্স নাহিলেই চোন।"

"গৰুজনী, এক্সিডেন্ট হ'লে পেচেন্টক নিৰিবিলিৰ পাৰ্কত বহোৱাই থোৱা কোনটো জনমত দেখিছিলি?"

সন্ধ্যাৰ মূৰটোত লাহেকৈ ঠেলা এটা মাৰি অভিমন্যুয়ে ক'লে। তাই এতিয়াহে বুজি পালে গোটেই খেলখন। তাৰ অনুৰণ, ময়ূঁৰ আৰু ই মিলি এইখন নাটক কৰিলে।

"কেনেকুৱা বদমাছ তহঁত। কিমান ভয় খালোঁ মই জাননে? ৰহ আজি তোক।"

এইবুলি সন্ধ্যাই খেদি গ'ল তাক। অভিমন্যুও দৌৰিলে। নিৰিবিলি গছবোৰৰ আঁৰ লৈ লৈ দেও দি দি সাৰি গ'ল সি। সন্ধ্যাইও পিছে পিছে দৌৰিছে ধৰিবলৈ। ৰান্ধনি বেলিটোৰ পৰশ পাই নিৰিবিলিৰ সেউজীয়াবোৰ অধিক উজ্জ্বল হৈ পৰিছিল। ঠিক সন্ধ্যাৰ মনটোৰ দৰেই। বেঞ্চ আৰু গছ কেইজোপাৰ আঁৰ লৈ বাগি দি দি দৌৰি আছিল অভিমন্যু। লগতে সন্ধ্যাও। এনেতে ভিচি ছাৰৰ ঘৰৰ ছিকিউৰিটী জনে হুইছেইল বজোৱাত দুইটা টিপ মাৰি ওলাই আহিল তাৰ পৰা হাঁহি হাঁহি। নিৰিবিলি পাৰ হৈয়ে অভিমন্যুয়ে এখন হাত সন্ধ্যাৰ সিফালৰ কান্ধত থৈ চিঞৰি চিঞৰি গাই আহিছিল,

"শান্তিৰ নিজৰা বৈ বৈ বাগৰে আমাৰে মনৰ মাজত,

ৰচে মিলনৰে সঁচা এনাজৰী বান্ধে প্ৰাণতে প্ৰাণত।"

এইবাৰ সন্ধ্যাইও তাৰ সুৰতে মিলাই পাছৰ খিনি গাইছিল,

"মনতে নো আজি কিহৰে নাচোন

উলাহে নধৰে হিয়া দেখোন

তোৰে পৰশতে আজি নামে সপোন

গুণগুণ গানেৰে নতুন নতুন"

(আগলৈ)

kaushik

#নিৰিবিলি

Part 63

এটা সম্পৰ্ক কেতিয়াও নিজে নিজে শেষ নহয়। ইয়াক শেষ কৰা হয় সন্দেহ আৰু ভুল বুজাবুজিৰ দ্বাৰা। অভিমন্যু আৰু সন্ধ্যাৰ মাজৰ ভুল বুজা বুজি বোৰো শেষ হৈছিল ময়ূঁৰ আৰু অনুৰণৰ চেষ্টাত। সেই বাবেই কোৱা হয়, অন্তৰৰ পৰা সঁচা সম্পৰ্কবোৰত ঈশ্বৰৰ আশীৰ্বাদ থাকে। লাগিলে সেয়া প্ৰেমেই হওঁক বা বন্ধুত্বয়েই।

সেইদিনা হোষ্টেল গৈয়েই সন্ধ্যাই অনুৰণলৈ ফোন লগাইছিল। সাধাৰণতে তাই মেচেজেই কৰে তালৈ। কিন্তু আজি মনৰ উছাহত ফোনেই লগালে। কেনেকুৱা নাটক কৰিলে মানে আজি সি। তাই ভবাই নাছিল। ফোনটো ধৰা লগে লগেই তাই ক'লে,

"কি হ'ল? বেমাৰী মোৰ ওচৰত থৈ পলালা যে? এম্বুলেন্স ক'ত?"

উত্তৰত হাঁহি মাৰি অনুৰণে ক'লে,

"ভাল হ'ল নে নাই কাজিয়া?"

"সেইবোৰ বাদ দিয়া। তোমাক কিন্তু মানিছোঁ দেই। কেনেকুৱা এক্টিং মানে। ভাৰ্চিটী উইকৰ ড্ৰামাত সোমাবই লাগিছিল তুমি।"

সন্ধ্যাই হাঁহি হাঁহি কৈ গৈছিল। অনুৰণে ক'লে,

"নাই, মই চিধা বলিউদেই যাম আৰু।"

হাঃ হাঃ কৈ হাঁহি উঠিছিল সন্ধ্যাই। আচৰিত মানে এই ল'ৰাটো। তেও তাক অলপ জোকাবলৈকে ক'লে,

"হ'লেও তোমাক কিন্তু মই বেয়া পাইছোঁ ৰণ। মোকো মিছা কথা কৈছা তুমি।"

"উহোঁ নাই কোৱা। যিটো মিছা কথাই কাৰোবাৰ ভাল কৰে সেইটো মিছা নহয় মোৰ মতে।"

তাৰ কথাই ভবাই তুলিলে তাইকো। হয়তো, ময়ূঁৰ আৰু অনুৰণৰ অকণমান মিছা কথাই অভি আৰু তাইক আগৰ দৰে কৰি দিলে। অনুৰণে আকৌ ক'লে,

"আৰু প্লেনটো কিন্তু ময়ূঁৰৰ হে আছিল দেই।"

Kaushik

এই যে ময়ূঁৰ ল'ৰাটো। আৰু আচৰিত মানে। ইমান শান্ত ল'ৰাটোৰ মূৰত যে কেনেকৈ এইটো বুদ্ধি খেলালে নহয়। শেষত সন্ধ্যাই অনুৰণক কৈছিল,

"বাই দে ৱে, থেংক ইউ ৰণ। তোমালোকে সেই খিনি নকৰা হ'লে আজি অভি আৰু মোৰ মাজৰ ভুল বুজা বুজি খিনি শেষ নহ'ল হয়।"

অনুৰণে হাঁহি মাৰি শান্ত মাতেৰে তাৰ চিনাকি উত্তৰটো দিছিল,

"আছোঁতো মই।"

এই শাৰীটোতেই যেন সমস্ত পৃথিৱীৰ ভৰষা আৰু বিশ্বাস থূঁপ খাই থকা যেন লাগে সন্ধ্যাৰ। ফোনটো থৈ মনৰ প্ৰশান্তিখিনিৰে বিচনাত বাগৰিল তাই।

উদাসীন সময়বোৰে আকৌ হাঁহি মাৰিছিল। অভিমন্যু আকৌ আগৰ দৰেই ৰঙিয়াল হৈ পৰিছিল। সকলোৰে লগত হাঁহি ফুৰ্তি কৰি থকা ল'ৰাটোৰ উৎপাতবোৰ আকৌ উলটি আহিছিল। কিন্তু কোনোবা সময়ত সি আকৌ অকলশৰীয়া অনুভৱ কৰে। সন্ধ্যাই বুজে। সেইবাবেই তাই অকলে নেৰে তাক। কেতিয়াবা ৰাতি দেৰিকৈ সাৰে থাকিলে পুৰণি কথাবোৰ মনত পেলাই আৱেগিক হৈ উঠে সি। সন্ধ্যালৈ ফোন লগাই ফেঁকুৰে,

"মোৰনো কি ভুল আছিল সন্ধ্যা?"

সন্ধ্যাই মৰমেৰে বুজাই,

"ভুল নাছিল। কিন্তু অভি, কেতিয়াবা কিছুমান মানুহ আমাৰ জীৱনলৈ কিছুমান পাঠ পঢ়াবলৈও আহে। যিদৰে কৌশিক আহিছিল মোৰ জীৱনলৈ। গতিকে এইবোৰক এটা শিক্ষা হিচাপেই ল।"

"তই মোক এৰি নাযাঁৱতো কেতিয়াও?"

সৰু ল'ৰাটোৰ দৰে আব্দাৰ কৰে অভিমন্যুয়ে।

"বেলেগৰ লগত চেনি খালে গুছি যাম।"

সন্ধ্যাৰ কথাত দুইটাই হাঁহে।

Kaushik

দিন যোৱাৰ লগে লগে ক্লাছবোৰো গৈ আছিল। তাৰ মাজতেই আহি পাইছিল সেই বিশেষ দিনটো। মহাভৈৰৱৰ নগৰ তেজপুৰবাসীৰ আটাইতকৈ প্ৰিয় উৎসৱ শিৱৰাত্ৰি। দেৱাদিদেৱ মহাদেৱ আৰু গিৰি নন্দিনী গৌৰীৰ মহামিলনৰ সাক্ষী এই দিনটো অন্য ঠাইৰ লগতে তেজপুৰতো পালন কৰা হয় উলহ মালহেৰে। তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, শুক্লেশ্বৰ মন্দিৰ আদিত ভিৰ দি বাট নোপোৱাৰ অৱস্থা হয়। কিন্তু তেজপুৰ ইউনিভাৰ্চিটীৰ ষ্টুডেন্টৰ কাৰণে দুখৰ কথা যে শিৱৰাত্ৰিত ইউনিভাৰ্চিটী বন্ধ নহয়। গতিকে বহুতৰেই ইচ্ছা থাকিলেও ক্লাছ খতি মহাভৈৰৱলৈ আহিব নোৱাৰে। কোনোবাই নিজৰ মাজতে ক্ষোভ উজাৰে,

"ইহঁতে মহাদেৱকো পাত্তা নিদিয়ে বে।"

কিন্তু তাৰ মাজতো কিছুমান নহাকৈ নাথাকে অৱশ্যে। বিশেষকৈ ছোৱালীবোৰৰ বাবে এই দিনটো খুব বিশেষ। বহুতো ছোৱালীয়েই মহাদেৱৰ দৰে বৰ বিচাৰি পূজা অৰ্চনা কৰে। কিন্তু বেছি ভাগেই নাভাবে, মহাদেৱক পাবলৈ হ'লে আগতে নিজে পাৰ্বতী হ'ব পাৰিব লাগিব।

সন্ধ্যাৰ লগৰ জুৰি আৰু প্ৰিয়াও ক্লাছ খতি কৰি মহাভৈৰৱ পাইছিলগৈ ৰাতিপুৱাই। তাইকো লগ ধৰিছিল, কিন্তু তাই হে নগ'ল। ইউনিভাৰ্চিটীৰ গেটৰ লগতেই আছে শিৱ মন্দিৰ এটা। বিদিশা বাহঁতে কৈছে তাতো হেনো শিৱৰাত্ৰি পাতে। সন্ধ্যাই ঠিক কৰি থৈছে তাতেই সন্ধিয়া গৈ চাকি এগছ জ্বলাব। বিদিশাহঁতে তাইক অভিমন্যুৰ লগত যাবলৈ কৈ কৈ জোকায়ে আছে। সন্ধ্যাই পিছে ক'ব লগা নহ'লেই। অভিমন্যুয়ে ক্লাছতে ক'লে তাইক,

"সন্ধিয়া ওলাবি। শিৱৰাত্ৰিত চাকি এগছ দি আহিম।"

নিমিষা আৰু সীমাই খুব জোকাইছিল লগে লগেই,

"বেলেগ আৰু দেই, হৰ গৌৰী বসতি হ'ব তহঁতৰ।"

"আমাক লগ নধৰেই আৰু।"

ক্লাছৰ পৰা আহোঁতে বাটত সিদ্ধাৰ্থ আৰু শিখাক লগ পাইছিল সন্ধ্যাই। সিহঁত মহাভৈৰৱৰ পৰা আহি আছিল। সন্ধ্যাই চকু টিপ মাৰি জোকাইছিল সিদ্ধাৰ্থক। শিখাই তাইক মন্দিৰৰ প্ৰসাদ অলপো দিছিল। অলপ সময় কথা পাতি সন্ধ্যা ৰুম পালেগৈ। হোষ্টেলতো শিৱৰাত্ৰি বুলি ছোৱালীহঁতৰ তৎ নাই। কোনোবাই ৰুমতেই চাকি ধূপ

kaushik

জ্বলাইছে। কোনোবাই মন্দিৰলৈ গৈছে। মুঠতে ক্লাছ বন্ধ নহ'লেও সকলোৰে গাত শিৱৰাত্রিৰ উলহ লাগিয়ে আছে।

সন্ধিয়া হোৱাৰ অলপ পাছতে অভিমন্যুৰ লগত সন্ধ্যা ওলাই গৈছিল মন্দিৰলৈ। কিনকিনকৈ বৰষুণ আহি থকাৰ বাবে ছাতি দুটা লৈ আনিছিল সিহঁতে। সন্ধ্যাই তাইৰ প্রিয় নীলা চুৰিদাৰ যোৰ পিন্ধিছিল। ইউনিভাৰ্চিটীৰ ভিতৰৰ পৰাই মন্দিৰত মাইকত বজাই থোৱা গান শুনা পাইয়ে আছিল। শিৱ বন্দনাৰে উপচি আছিল গোটেইখন। মন্দিৰৰ সমুখত বহু লোকৰ শাৰী। ইউনিভাৰ্চিটীৰ ষ্টুডেন্টৰ লগতে এইখিনি অঞ্চলৰ ওচৰে পাজৰে থকা লোক সকলো তালৈ আহিছিল। মন্দিৰটোৰ চোতালতে সৰুকৈ ত্রিপাল এখন পাৰি তাতে টেবুল এখনত প্রসাদ দিয়া ব্যৱস্থা কৰিছে। টেবুল খনৰ কাষতে চাউণ্ড বক্স কেইটা। ৰাস্তাৰ কাষৰ দোকানবোৰতে চাকি, ধূপ, বেলপাত আদিৰে সজ্জিত থালবোৰ বেচি আছে। সন্ধ্যাহঁতে তাৰ পৰাই দুখন ল'লে। মন্দিৰত সোমাবলৈ পিছে শাৰী পাতিব লগীয়া হ'ব। সৰুকৈ হ'লেও কৰা এই আয়োজনটোত সন্ধ্যাৰ মনটো ভাল লাগিছিল। মন্দিৰৰ দুৱাৰ মুখতে সোঁফালে শিৱৰ আৰু বাওঁফালে হনুমানৰ দুখন ডাঙৰ ফটো লগাই থৈছে। শাৰী পতাৰ এলাহতে বহুতে ফটো কেইখনৰ তলতে চাকি জ্বলাইছিল। সন্ধ্যাহঁত পিছে ভিতৰলৈ যাওঁ বুলিয়েই ৰ'ল। শাৰী পাতি থকাৰ পৰাই দেখিছিল তাই, ৰাস্তাৰ কাষৰ ভাৰ্চিটী নামৰ দোকান খনত ময়ূঁৰ আৰু অনুৰণ। হাতত চিগাৰেট আৰু গাখীৰ চাহ। সন্ধ্যাই অভিমন্যুকো আঙুলিয়াই দেখুৱালে। সি "ঐ ময়ূঁৰ" বুলি চিঞৰ এটা মাৰিছিল যদিও শুনা নাপালে হুলস্থুলৰ মাজত। মন্দিৰত চাকি জ্বলাই প্রসাদ লৈ ময়ূঁৰহঁতৰ ওচৰ পালেহি সন্ধ্যাহঁত। দুইটাকে প্রসাদ দিলে তাই। সন্ধ্যাই মন কৰিছিল তাই অহাৰ লগে লগে হাতৰ চিগাৰেটটো পেলাই ভৰিৰে মোহাৰি দিছিল অনুৰণে। ময়ূঁৰৰ বাৰু শেষেই হৈছিল খায়। সন্ধ্যাই দিয়া প্রসাদ খিনি খাই লৈ ময়ূঁৰে ক'লে,

"অকল এইয়াই খাবা নেকি? বাবাৰ প্রসাদ সৌৱাহে।"

দোকানখনত থকা ঘোটাৰ বটল কেইটালৈ আঙুলিয়াই দিলে ময়ূঁৰে। মন্দিৰত ৰভাৰ তলতো ঘোটা বনাই আছিল। সন্ধ্যাহঁতক দিছিল যদিও নাখালে। কিন্তু ইয়াত সজাই থোৱা বটল কেইটা দেখি অভিমন্যুৰ লোভ লাগিল,

"বটল এটা লওঁ নহ'লে। কি কোৱা অনুৰণ?"

kaushik

উত্তৰত অনুৰণে মাত্ৰ হাঁহিলে। লগে লগে সন্ধ্যাই চিঞৰি উঠিল,

"একদম মাৰ খাবি কিন্তু। নাখাবি এইবোৰ।"

"হাৰে এইয়া বাবাৰ প্ৰসাদ।"

মানিবেগটো উলিয়াই অভিমন্যুয়ে ক'লে।

"শিৱই বিহো খাইছিলতো। সেয়াও খা নহ'লে।"

সন্ধ্যাৰ কথালৈ কাণ নিদি অভিমন্যু এবটল ঘোটা কিনিয়ে আনি তাইৰ চকুৰ সমুখতে ঘোট ঘোট কৈ পি দিলে। অনুৰণক দিছিল যদিও সি নাখাওঁ বুলি ক'লে। ময়ূঁৰেও দুঢোক মান মাৰিলে।

"এই সোপাকে খাই থাক, মই যাওঁ।"

সন্ধ্যা যাবলৈ ওলাইছিল। অভিমন্যুয়ে টান মাৰি ৰখালে,

"হেই ৰ না। ক'লে যাঁৱ? অকণ মান খাই চা না।"

"নাখাওঁ দেই এইসোপা। ক'ত কেনেকে বনাইছে ঠিক নাই।" সন্ধ্যাই মুখখন ঘূৰাই কৈছিল। অভিমন্যুয়ে লগে লগে "ব'ল তেন্তে তাৰ পা খাবি" বুলি তাইক মন্দিৰৰ ৰভালৈ লৈ গ'ল। তাতে ঘোটা বনায়েই আছে। খোৱাই খাইয়েই আছে গিলাচে গিলাচে। অনুৰণ আৰু ময়ূঁৰে তাতেই ৰৈ চাই আছিল সিহঁতক। অভিমন্যুয়ে জোৰ কৰাত খাওঁ নাখাওঁকৈ সন্ধ্যাইও এগিলাচ মুখত ল'লে। লগতে সিও। সোৱাদটো তাইৰ বেয়া নালাগিল। তাৰ পাছতে আৰু এগিলাচ। এনেকৈ প্ৰায় চাৰি গিলাচ মান ঘোটা খোৱাৰ পাছতে সন্ধ্যা সলনি হৈছিল এখন বেলেগ পৃথিৱীলৈ। উৰিব ধৰিছিল যেন তাই। গাৰ সকলো ওজন নোহোৱা হৈ গৈছিল। অভিমন্যুক কিবা অনৰ্গল কথা কৈ গৈছিল। মাজে মাজে হাঁহি আৰু উকি। এনেতে স্পীকাৰত কিশোৰ কুমাৰ আৰু লতা মংগেশকাৰৰ জনপ্ৰিয় গীতটি লগালে,

"Hey jai jai shiv Shankarrrr"

লগে লগে ঘোটাৰ নিচাত থকা অভিমন্যু আহি সকলোৰে সমুখত নাচিবলৈ লাগি গ'ল। তাতেই ঘোটা খাই থকা আৰু দুজন মান ল'ৰাইও তাক সহযোগ কৰিলে। গানৰ তালে তালে নাচি আছিল সি,

"Jai jai Shiv Shankar

Kaanta lage na kankar

Ke pyala tere naam ka piya"

এইবাৰ নিচাত থকা সন্ধ্যাও যোগ হৈছিলহি সিহঁতৰ নাচৰ মাজত। নিচাৰ কোবত লাগ বান্ধ নাছিল যদিও কঁকাল ভাঙি তাইও নাচিবলৈ লাগিল,

"O gir jaaongi, main mar jaaongi

Joh tune mujhe thaam na liya

O sau rab di..."

ওচৰ পাজৰৰ মানুহ খিনিয়ে সিহঁতৰ নাচ উপভোগ কৰি চিঞৰ আৰু উকিৰে আৰু উৎসাহ দি আছিল। নিচা নলগা দুই একে আহিও যোগ দিছিলহি। হঠাতে পৰিৱেশটো এক উৎসৱৰ মুখৰ হৈ পৰিছিল। ঘোটাৰ নিচাত থকা অভিমন্যু আৰু সন্ধ্যা এটাৰো হুঁচ নাছিল যে কি কৰি আছে। এইফালে ময়ূঁৰ আৰু অনুৰণে মূৰে কপালে হাত দিছিল।

"শেষ, এই দুটা শেষ আজি।"

ময়ূঁৰে ক'লে। অনুৰণক লগ ধৰিলে সি,

"ঐ অনুৰণ, ব'লা বে। কিবা কৰি আঁতৰাই আনোঁ। নহ'লে নাচ বন্ধ নহ'বই।"

লগে লগেই সিহঁত গৈ সন্ধ্যাহঁতৰ নাচৰ ওচৰ পাইছিলগৈ। ময়ূঁৰক দেখি অভিমন্যুয়ে টান মাৰি আনিলেই,

"এইইই ময়ূঁৰ ভা---ই, নাচ না অলপ।"

ময়ূঁৰে লগে লগে "ব'ল আমি ৰুমত নাচিম ব'ল" বুলি অভিমন্যুক তাৰ পৰা টানি অনাৰ দৰে আনিলে। কিন্তু নাই, অভিমন্যুয়ে নাচিবই,

"নহ'ব, ইয়াতে নাচোঁ ব'ল। সন্ধ্যাও আছে।"

"অভি, তই মোৰ কথা নুশুন? ব'ল বুলি কৈছোঁ নহয়।"

ময়ূঁৰৰ ধমকিত শান্ত হ'ল যদিও নিচা কমাই নাছিল অভিমন্যুৰ,

"গালি কিয় দিছ নো?"

"নিদিওঁ গালি। একদম চুপ চাপ ৰুম ব'ল।"

এইফালে সন্ধ্যাক আনিবলৈ অনুৰণৰো অৱস্থা নাই। নিচা নিচা মাতেৰে তাই কৈছিল,

Kaushik

"কি নো ব'লা ব'লাকে আছা? তুমিও নাচা না।"

"নাচিম। আমি চবেই ভিতৰত নাচিম ব'লা। ইয়াৰ পৰা যাওঁ এতিয়া।"

অনুৰণে কোৱাতো সন্ধ্যা আহিবলৈ সাজু নোহোৱাত প্ৰায় টানি অনাৰ দৰেই লৈ আনিছিল সি। তেও তাই হাত মেলি মেলি নাচৰ পাক দি আহিবলৈ এৰা নাছিল। অৱশেষত বহুত কষ্ট আৰু টানা আজোঁৰা কৰি ময়ূঁৰে অভিমন্যুক আৰু অনুৰণে সন্ধ্যাক ভিতৰলৈ আনিছিল।

"অভি, শৰ্মিষ্ঠালে ফোন লগা। আকৌ গালি দিম তাইক।"

বাটত অভিমন্যুক ক'লে সন্ধ্যাই। সিও মোবাইল উলিয়াইছিলেই। কিন্তু ময়ূঁৰে বাধা দিলে,

"নালাগে নালাগে। এতিয়া নালাগে। পাছত আমি চবেই মিলি গালি দিম।"

তাৰ কথাত যেনিবা মান্তি হ'ল। গেটৰ পৰা সোমাই আহি পাটকাই পাইয়ে ময়ূঁৰে অভিমন্যুক লৈ গ'ল। অনুৰণে সন্ধ্যাক লৈ আগবাঢ়িছিল সোৱণশিৰীৰ ফালে। নিচাত খোজ ঢলং পলং হোৱা সন্ধ্যাক এখন হাতেৰে কঁকালত সাৱটি পৰি নোযোৱাকৈ ধৰি লৈছিল অনুৰণে। সন্ধ্যাইও মূৰটো হাওলাই পেলাই দিছিল অনুৰণৰ বুকুত। বৰষুণ কমিছিল তেতিয়ালৈ। কেঁচা মাটিৰ গোন্ধটো বিয়পি পৰিছিল। ৰাস্তাৰ কাষৰ গছবোৰৰ পৰা এটোপ দুটোপকৈ বৰষুণ সৰি আছিল। সোৱণশিৰীলৈ গৈ থাকোঁতেই হঠাৎ নীলাচলৰ সমুখত কাঞ্চন জোপা দেখি চিঞৰি উঠিল সন্ধ্যাই,

"মই ফুল চিঙিম।"

অনুৰণৰ পৰা হাত এৰাই তাই দৌৰিছিলেই। সি যেনিবা থাপ মাৰি ধৰিলে।

"সন্ধ্যা, এতিয়া এইবোৰ নহয় প্লিজ। পাছত ল'বা ফুল।"

কিন্তু সন্ধ্যা যে এতিয়া কথা বুজি পোৱা বা শুনাৰ অৱস্থাত নাইয়েই,

"না, মোক এতিয়াই লাগিব। নহ'লে নাযাওঁ মই ইয়াৰ পৰা।"

উপায় নাপাই অনুৰণে হাকুটি মাৰি কাঞ্চনৰ ফুল সৰাবলৈ লাগিল। কিছু সময় চেষ্টাৰ পাছত ফুল পাহ আনি তাইক দিলে। ফুৰ্তিত ক'ব নোৱাৰা হৈ নিচাগ্ৰস্ত সন্ধ্যাই কৈ উঠিল,

kaushik

"থেংক ইউ ৰণ। এই কাৰণেই তোমাক বহুত ভাল পাওঁ মই।"

অনুৰণে একেথৰে চাইছিল সন্ধ্যালৈ। চঞ্চল বতাহচাটিয়ে কঁপাইছিল অনুৰণকো। সন্ধ্যাৰ এতিয়াও হুঁচ অহাই নাছিল। থৰ হৈ থকা অনুৰণৰ মুখত কাঞ্চন পাহেৰে মিহিকৈ কোব মাৰি হাঁহি উঠিল তাই। পাহি এটি সৰি পৰিছিল। "ব'লা" বুলি অনুৰণে আকৌ লৈ গৈছিল তাইক সোৱণশিৰীলৈ। হোষ্টেলৰ সমুখ পাই সন্ধ্যাক গেটৰ ভিতৰলৈ পঠিয়াই বাহিৰতে ৰৈ আছিল অনুৰণ। ভিতৰলৈ গৈ থাকোঁতে সন্ধ্যাই এবাৰ তালৈ ঘূৰি কবিতাৰ সুৰত চিঞৰিলে,

"ঐ ল'ৰা, এবাৰ প্ৰেমত পৰি চাবা নেকি?"

অনুৰণৰ হাঁহি উঠিছিল তাইৰ ভাঁজটো দেখি। বেচেৰীয়ে গমো নাপাই কি কৰি আছে। হাঁহি হাঁহিয়েই সি কৈ উঠিল,

"নপৰোঁ প্ৰেমত। যোৱা ভিতৰলে এতিয়া।"

"অকে বচ" বুলি সন্ধ্যাই অ'ত ত'ত ধৰি ভিতৰ পালেগৈ। অনুৰণে চাই ৰৈছিল তাই চকুৰ আঁৰ নোহোৱালৈকে।

Kaushik

ৰাতি ভাত খোৱালৈকে লালকাল টোপনিত পৰি আছিল সন্ধ্যা। তাইৰ অৱস্থা দেখি হাঁহি হাঁহি ৰ'ব নোৱাৰা হৈছিল বিদিশাহঁত। দেৰিকৈ সন্ধ্যা সাৰ পালে। ৰুমত বিদিশা আৰু ৰীণা লগ লাগি বিশেষ বস্তু এবিধ তৈয়াৰ কৰি আছিল। সন্ধ্যাই সোধাত ক'লে,

"তই বেলেগে বনোৱাহে খালি, এইবাৰ আমি বনোৱা খাই চা।"

তেতিয়াহে মন কৰিলে সন্ধ্যাই, সিহঁতে ৰুমত ঘোটা বনাই আছে। এনেই হোৱা হ'লে সন্ধ্যাই আপত্তি কৰিলে হেঁতেন, কিন্তু বাহিৰত খাই অহা ঘোটাৰ নিচা ভালকৈ যোৱাই নাছিল তাইৰ। সেইবাবেই আকৌ ঘোটা দেখি জঁপিয়াই উঠিল,

"এই মজা, দিয়া এগিলাছ।"

সন্ধ্যাৰ ভাঁজ দেখি আকৌ হাঁহিৰ জোৱাৰ। অলপ পাছতে দীপা আৰু প্ৰিয়াও পালেহি। সিহঁত পাঁচোজনীয়ে মিলি বাবাৰ প্ৰসাদ কণ খালে। বিদিশাই সন্ধ্যাক বেছি নিদিলে তাই বাহিৰত খাই অহাৰ বাবে। নিচা যিমানেই লাগি আহিল, আড্ডাও সিমানেই জমি

আহিছিল। কথাৰ মাজে মাজে "ব'ম ব'ম" বুলি একোটা চিঞৰ। এনেতে ৰীণাই গান আৰম্ভ কৰিলে,

"ভাং খাই পগলা হ'লা হে মহাদেও ভাং খাই পগলা হ'লা....."

এইবাৰ কোনে পাই, চিঞৰি চিঞৰি সুৰ লগাই গাবলৈ ধৰিলে গোটেই কেইজনীয়ে। এসময়ত সিহঁতৰ চিঞৰৰ কোবত থাকিব নোৱাৰি তলৰ চিকিউৰিটী মালতী মাহী আহি ওপৰ পালেহি। দুৱাৰখন খুলি মাহীক দেখি নিচাতে ৰীণাই চিঞৰি উঠিল,

"আমাৰ ভক্তিত সন্তুষ্ট হৈ আই পাৰ্বতী নামি আহিলে বে।"

লগে লগে ভিতৰত সন্ধ্যাকে ধৰি এটাই কেইজনীৰ গিৰ্জনি মৰা হাঁহি। প্ৰিয়াই হাঁহি হাঁহি বাগৰিয়ে পৰিছিল। সিহঁতৰ কাণ্ড দেখি মাহীয়ে চেলাউৰি কোঁচাই গালি পাৰিলে,

"এইমখাৰ ঘোটা খাই নিচা চাচোন। ৰহ এতিয়াই যদি মই ৱাৰ্ডেন মেমক ক'ব নোৱাৰো চাই থাক। ফোন কৰি..."

মাহীৰ কথা শেষ নহওঁতেই ৰীণাই তেওঁক টান মাৰি ৰুমৰ ভিতৰলৈ আনিলে। ইফালে সন্ধ্যাই আগুৱাই গৈ দৰ্জাৰ হুক মাৰি দিলে। বাকী থকা ঘোটাখিনি মাহীলৈ আগুৱাই বিদিশাই ক'লে,

"মাহী ঔ, মহাদেৱৰ নাম লৈ সাউৎকৈ পি দিয়ক।"

মাহীয়ে প্ৰথমে আপত্তি কৰিছিল যদিও ঘোটাৰ লোভ লগা গোন্ধত আৰু ৰ'ব নোৱাৰিলে। "ব'ম ব'ম" বুলি চিঞৰ এটা মাৰি কোঁট কোঁটকৈ পি দিলে ঘোটাখিনি। খাই লৈ মাহীও সন্ধ্যাহঁতৰ দলৰে এজনী হৈ পৰিল। লগে লগে নিজেই আকৌ নাম আৰম্ভ কৰিলে,

"ঐ আমি ভকত সৱে কাতৰে মাতিছোঁ...."

আটাইবোৰে আকৌ চিঞৰি উঠিল,

"নন্দী ভৃংগী সহিতে আহা হে মহাদেও

ভাং খাই পগলা হ'লা হে মহাদেও

ভাং খাই পগলা হ'লা।"

Kaushik

সিহঁত গোটেই কেইজনীৰ নাচ, চিঞৰ আৰু উকিত সোৱণশিৰী ৰাতিও সাৰ পাই উঠিছিল। মালতী মাহীও সন্ধ্যাহঁতৰ লগতে ঘূৰি গৈছিল নিজৰ ছোৱালী জীৱনলৈ।

শিৱৰাত্ৰিৰ পৰশ যে অকল সোৱণশিৰীত হে পৰিছিল তেনে নহয়। গোটেই কেইখন হোষ্টেলতেই প্ৰায় একে অৱস্থা। লুকাই চুৰকৈ ঘোটা অকণ যদি খোৱাই নহয়, তেন্তে কিহৰ শিৱৰাত্ৰি নো? পিছে বয়জ হোষ্টেলত লুকাই চুৰকৈ নহয় দেখ দেখকৈয়ে চলে। বয়জ হোষ্টেলৰ পৰা আকৌ গাৰ্লচ হোষ্টেললৈকো ঘোটাৰ চাপ্লাই চলিয়েই থাকে। পাটকাই আজি যেন দ্বিতীয় কৈলাশলৈ সলনি হৈছে। সকলোৰে গাত মহাদেৱ। চকু দেখিলেই গম পায়। অনুৰণ আৰু ময়ূঁৰো ইয়াৰ ব্যতিক্ৰম নহয়। ময়ূঁৰ সোনকালেই বিচনাত পৰিল। অনুৰণ পিছে খালেও নাখালেও একেই। আচৰিত ধৰণে নিচা কৰিলেও ধৰিব নোৱাৰি তাক। কিন্তু ঘোটা আৰু ভাঙৰ নিচাত উৰি ফুৰিছে আমাৰ অভিমন্যু। দেৱা দাৰ ৰুমতে ঘোটা খাই গোটেইটো টুলুং ভুটুং সি। যাকেই পাই তাৰ গান আৰম্ভ হৈ যায়,

"বাবা খোৱা উৰি যোৱা,

মেঘৰ মাজত তুমি খোজ কাঢ়ি চোৱা।"

এবাৰত দেৱা দাই অভিমন্যু আৰু দ্বীপক কেন্টিনৰ পৰা খাবলৈ কিবা আনিবলৈ পঠালে। অনুৰণো তাতে আছিল মোবাইল টিপি টিপি। মুখত বিহু এটা আওৰাই ঢলং পলং খোজেৰে অভিমন্যুহঁত কেন্টিন পালেহি। গ্ৰাউণ্ড ফ্লৰৰ দাইনিং হললৈ সোমাৱা মুখতে বাওঁফালে সৰু কেন্টিনখন। নতুনকৈ খুলিছে। পেটিছৰ পৰা আৰম্ভ কৰি চিপছলৈকে সকলো আছে। অভিমন্যুয়ে গ্ৰীল খনতে ভেঁজা দি দোকানীজনক পেটিছ দিবলৈ ক'লে। কিন্তু দাম শুনি নিচাৰ মাজতো চকু কঁপালত উঠিল তাৰ। এটা ভেজিটেবল পেটিছত বিছ টকা? ই কৰিছে কি মানে? হয়, কেন্টিন খোলাৰ পৰাই বহু ল'ৰাৰ পৰা কম্প্লেইন পাইছে বুলি দেৱা দাই তাক কৈছিল। দোকানীজনৰ হেনো ব্যৱহাৰ ভাল নহয় আৰু বস্তুবোৰো জোখতকৈ বেছি দাম লয়। বাহিৰত দহ টকাৰ পেটিছ ইয়াত বিছ টকা। বাহিৰৰ বিছ টকাৰ মেগী ইয়াত চল্লিছ। তাকো দিয়ে তেনেই অকমাণ। বাকী কেইখন হোষ্টেলৰ কেন্টিনতো ইমান দাম নলয়। অভিমন্যুয়ে কোৱাৰ আগত দ্বীপেই দবিয়াই উঠিল,

"ইমান দাম লৈছে যে, ভেজ পেটিছৰ দাম বিছ টকা হয় নেকি?"

Kaushik

লগে লগে দোকানীজনে ধমকি মাৰি ক'লে,

"খাব খুজিলে খাবা নহ'লে বাদ দিয়া। ইমান ভিক্ষাৰী যদি আহিবই নালাগে খাবলে।"

এই সৰু কথাটোত ইমান বেয়াকৈ ক'ব বুলি দ্বীপে ভবাই নাছিল। এনেই নিচা, তাতে ভালকৈ কওঁতেও এনেকৈ বেয়াকৈ শুনিব লগা হোৱাত অভিমন্যুৰ ধৈৰ্য হেৰাল। দোকানীটোৰ চাৰ্টত ধৰি টানি চোঁচৰাই আনিলে তাক। গোটেই কমন ৰুমটো কঁপি যোৱাকৈ চিঞৰি উঠিল,

"কাক কথা কৈছ তই?"

লগে লগেই এটা হুলস্থুলৰ সৃষ্টি হ'ল। বহু কেইটা ল'ৰাই জুম ধৰিলেহি সেইখিনিত। দ্বীপে টানি টানি দোকানীটোৰ ডিঙিৰ পৰা অভিমন্যুৰ হাতটো আঁতৰাবলৈ চেষ্টা কৰিছিল যদিও পৰা নাই। চিঞৰ বাখৰত কাৰো মাত নুশুনা অৱস্থা। কাজিয়াত ব্যস্ত থকাৰ বাবে কোনোৱে মন কৰা নাছিল হোষ্টেলৰ আগফালে গাড়ীখন ৰখাই ভিতৰলৈ সোমাই আহিছিল ৱাৰ্ডেন ছাৰ।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 64

এনেয়ে কাজিয়াখন হয়তো ইমান ডাঙৰ নহ'ল হেঁতেন। কিন্তু ভাঙৰ নিচাত থকা অভিমন্যুৰ হুঁচেই নাছিল। তলৰ পৰা কোনোবা এটাই গৈ দেৱা দাকো ক'লেগৈ,

"দেৱা দা, তলত জেং। অভিমন্যু আৰু দোকানীৰ মাৰপিত লাগিব এতিয়া।"

দেৱাশীষ, অনুৰণ, বিপ্লৱ গোটেই কেইটা তললৈ নামি আহি আছিল দৌৰা দৌৰিকৈ।

ইফালে তলত অভিমন্যুহঁতৰ জুমটোৰ ওচৰত থিয় হৈছিলহি ৱাৰ্ডেন ছাৰ। কোনেও তেওঁৰ উপস্থিতি মনেই কৰা নাছিল। হঠাৎ তেওঁ চিঞৰি উঠিল,

"কি হৈছে ইয়াত?"

তেতিয়াহে সকলোৱে ঘূৰি চালে। কাজিয়া চাবলৈ অহা কেইটা মান ল'ৰা লগে লগেই নিজৰ নিজৰ ৰুমলৈ দৌৰ দিলে। অভিমন্যুৰ পৰা এৰ খাই কেন্টিনৰ দোকানীজন ৱাৰ্ডেনৰ ওচৰ পালেহি,

"ছাৰ, ছাৰ চাওঁক। মদ ভাং খাই এইবোৰ ল'ৰাৰ উৎপাত চাওঁক।"

ৱাৰ্ডেনৰ খঙাল চকুৰ সমুখত তলমূৰকৈ থিয় হৈ আছিল অভিমন্যু, দ্বীপ আৰু দুটা মান ল'ৰা। এনেতে ওপৰৰ পৰা দেৱাশীষ আৰু অনুৰণহঁত আহি পাইছিলহি। ৱাৰ্ডেনক দেখি ভয়ত মুখ শুকাইছিল সিহঁতৰো। সৰু মাতেৰে দেৱাশীষেই ক'লে,

"ছাৰ আপুনি?"

তাক দেখিয়েই খঙত জ্বলি উঠিল ৱাৰ্ডেন,

"এইবোৰ হোষ্টেলত কিহৰ গুণ্ডামি চলিছে দেৱাশীষ? এনেকৈ হাত তুলিবলৈ ক'ত ইমান সাহ পাইছে এইবোৰ ল'ৰাই? তুমি কি কৰি আছিলা? ৰাতি মদ ভাং খাই উৎপাত মাৰপিত এইবোৰতো আগতে পাটকাইত হোৱা নাই।"

লগে লগে অভিমন্যুয়ে মাত দিলে,

"ছাৰ মই কৈছোঁ। মই একো গুণ্ডামি কৰা নাই। মাত্ৰ...."

তাৰ কথা শেষ নহওঁতেই দবিয়াই উঠিল ৱাৰ্ডেনে,

"Shut up। মুখে মুখে তৰ্ক কৰিবলৈ নাহিবা।" এইবাৰ দোকানী জনক চাই ক'লে,

"তুমি কোৱা কি হৈছে?"

মুখ খনত সাংঘাতিক দুৰ্ভগীয়া ধৰণৰ ভাব ভংগী এটা আনি দোকানী জনে কৈ গৈছিল,

"ছাৰ, এওঁলোকে মোক কিবা বস্তু বিচাৰি আহিছিল। নিচাত বেয়া মাতো মাতিছিল। মই বস্তুৰ দাম কোৱাত ইমান দাম কিয় বুলি গালি পাৰি মাৰিবলৈ ধৰিছে।"

অভিমন্যু হাত খন মুঠি মাৰি আহিছিলেই, ওচৰতে থকা দ্বীপে যেনিবা থাপ মাৰি ৰখালে তাক। এইবাৰ দেৱাশীষ আগুৱাই আহিল,

"ছাৰ, ইমান সৰু কথাত কাজিয়া কৰা ল'ৰা অভিমন্যু নহয়। এবাৰ তাৰ কথাখিনিও শুনি লওঁক। এনেও বহুত হোষ্টেলাৰৰ মই কম্প্লেইন পাইছোঁ কেন্টিনক লৈ।"

Kaushik

"তাৰ কথা শুনিবলৈ কি আছে? মইতো চব দেখিছোঁৱেই আহি। এই ল'ৰাটোৰ নাম, ডিপাৰ্টমেণ্ট আৰু ৰোল নম্বৰ দিয়া মোক। নালাগে এইবোৰ ল'ৰা হোষ্টেলত। বিচাৰ ইয়াতে হ'ব।"

ৱাৰ্ডেনে একো শুনিবই নোখোজে। দেৱাশীষে কিবা ক'বলৈ চাইছিল। কিন্তু নাই, তেওঁ নিজৰ স্থিতিত অটল। তাত থিয় হৈ থকা সকলোৱে ভাবিবলৈ ল'লে অভিমন্যুৰ এইবাৰ ৰক্ষা নাই। দুই এটাই ভালো পালে। নতুন ল'ৰা এটাক দেৱাশীষে ইমান মৰম কৰি মূৰত উঠোৱাটো ভাল পোৱা নাছিল কিছুমানে। কিন্তু বেছি ভাগে বেয়া পাইছিল। সকলোৰে লগত হাঁহি ফুৰ্তি কৰি থকা অভিমন্যুয়ে হোষ্টেল এৰি যাব লগীয়া হোৱাটোত অসন্তুষ্ট হৈছিল বহুজন। দেৱাশীষে সৰু সৰু মাতেৰে ৱাৰ্ডেনক বুজাবলৈ বৃথা চেষ্টা কৰি আছিল। বাকী ল'ৰাবোৰে জুম হৈ হৈ অভিমন্যুৰ কি হ'ব তাৰে কথা পাতি আছিল। সমুখৰ গোটেই বহল ৰুমটোত এক প্ৰকাৰ গুণগুণনিৰ সৃষ্টি হৈছিল। ওপৰৰ চিৰিটোৰ ষ্টেপ কেইটাতে বহি আছিল অভিমন্যু। দ্বীপো তাৰ লগতে থাকি বুজাই আছিল তাক,

"চিন্তা নকৰ, দেৱা দা আছে নহয়।"

এইবোৰৰ মাজতে সকলোৱে শুনাকৈ গম্ভীৰ মাতেৰে অনুৰণে কৈ উঠিল,

"দহ টকাৰ ভেজ পেটিছ কি যুক্তিত বিছ টকাত বেচে তাৰো বিচাৰটো কৰি লওঁক ছাৰ।"

গোটেইবোৰে ঘূৰি চাইছিল অনুৰণলৈ। তাৰ গহীন মাতত ৱাৰ্ডেনেও ঘূৰিবলৈ বাধ্য হ'ল। অভিমন্যুয়েও ষ্টেপৰ পৰা থিয় হ'ল। অনুৰণে আকৌ ক'লে,

"মাত্ৰ দামৰ কথা সোধোতেই হোষ্টেলৰ ল'ৰাক কি কাৰণত ভিক্ষাৰী বুলি ক'ব সেইটোৰো বিচাৰ কৰক।"

অলপ আগলৈকে ৰুমটোত হৈ থকা গুণগুণনিবোৰ নোহোৱা হৈছিল। কাঁহ পৰি জীণ যোৱা পৰিৱেশটোত সকলোৱে আচৰিত হৈ চাই আছিল অনুৰণলৈ। ৱাৰ্ডেনৰ লগত তৰ্ক কৰাৰ শাস্তি কি সকলোৱে জানে, চিধা হোষ্টেলৰ পৰা উলিয়াব। তেনেস্থলত কি সাহসত অনুৰণ আগবাঢ়িছে বাৰু? হোষ্টেলত অনুৰণৰ বিশেষ চিনাকি নাই। মাত্ৰ অভিমন্যুৰ বন্ধু বুলিহে সকলোৱে জানে। কিন্তু বন্ধুত্বৰ নামত এই জ্বলা জুইত পৰিবলৈ কিহে পাইছে তাক? এইবোৰ কথাই মগজুত চলি আছিল সকলোৰে। ৱাৰ্ডেনো আচৰিত

Kaushik

হৈছিল। কাৰণ আজিলৈকে তেওঁক এইদৰে গহীন স্বৰত কোনেও কথা কৈ পোৱা নাই। অনুৰণ এইবাৰ ৱাৰ্ডেনৰ সমুখত আহি থিয় হ'ল,

"আমিতো ষ্টুডেণ্ট হয় ছাৰ। মা দেউতাৰ ইনকামত খাই আছোঁ। নিজৰ টকা নাই। ৰাতি ভোক লাগিলেই যাতে কিবা এটা কিনি খাব পাৰোঁ, তাৰ বাবে কেন্টিন খন খুলিলে। কিন্তু তাত যদি বাহিৰতকৈও দুগুণ দাম দি বস্তু খাব লাগে তেন্তে কি লাভ? বাকীবোৰ হোষ্টেলৰ কেন্টিনত তো ইমান দাম নলয়। তেওঁক মেগী বনাবলৈ দি চাওঁক আপুনি। এইকণ মেগীত চল্লিছ টকা আপুনিও দিব নোৱাৰিব। যদি মিছা কৈছোঁ গোটেই হোষ্টেলাৰক সোধক।"

অনুৰণৰ কথাৰ লগে লগেই সেইখিনিত থকা আটাইবোৰে "হয় ছাৰ, ঠিকে কৈছে ছাৰ" বুলি চিঞৰি উঠিল। ৱাৰ্ডেন ছাৰে ঘোপাকৈ দোকানীটোলৈ চালে। সিও সেমেনা সেমেনিকৈ তলমূৰ কৰিলে। দেৱাশীষহঁত আচৰিত হৈছিল। ৱাৰ্ডেন কেতিয়াও কাৰো ইমান দীঘলীয়া কথা নুশুনেই। কিন্তু অনুৰণৰ এই গহীন স্বৰক উপেক্ষা কৰাৰ ক্ষমতা যে ৱাৰ্ডেনৰো নাছিল। অনুৰণৰ কথাৰ পৰাই অভিমন্যুক হোষ্টেলৰ পৰা উলিয়ালে যে ভাল হুলস্থুল এটা হ'ব তাৰ সন্দেদ পাই ৱাৰ্ডেন ছাৰে ক'লে,

"ঠিকে আছে বাবু, এইবোৰ আলোচনা পাছত হ'ব। কিন্তু যিমান যি হ'লেও ডাঙৰৰ গাত হাত তোলাটো কেতিয়াও ভাল কথা নহয়। গতিকে অভিমন্যুয়ে এওঁক ক্ষমা খোজক।"

লগে লগেই যেন দেৱাশীষে এক সকাহ পালে। সি অভিমন্যুৰ কাষলৈ গৈ ক'লে,

"যা, তাক এবাৰ ছৰী বুলি কৈ আহ।"

কিন্তু অভিমন্যু মান্তি নহয়,

"একো ভুল নকৰাকে মই কিয় ছৰী ক'ম?"

দেৱাশীষে টান মাতেৰে ক'লে তাক,

"কাৰণ মই ক'বলৈ কৈছোঁ। যা আৰু ছৰী ক।"

যিমান যি হ'লেও অভিমন্যুয়ে দেৱাশীষক দাদা বুলি বহুত সন্মান কৰিছিল। গতিকে সকলোৰে সমুখত তাৰ কথা নুশুনাকৈ থাকিব নোৱাৰিলে। দোকানীটোৰ ওচৰলৈ গৈ "ছৰী দাদা, বেয়া নাপাব" বুলি কৈ খৰ খোজেৰে নিজৰ ৰুমলৈ গপ গপাই গুছি

গৈছিল অভিমন্যু। লগে লগে তাত ৰৈ থকা ল'ৰা বোৰো নিজৰ নিজৰ ৰুম পালেগৈ। দেৱাশীষক দুই এটা পৰামর্শ দি ৱার্ডেনো ছাৰ গ'ল গৈ।

ৱার্ডেন যোৱাৰ পাছতে অনুৰণ আৰু দেৱাশীষ অভিমন্যুৰ ৰুম পালেগৈ। খঙত ৰুমতে গুজৰি আছিল সি। ৰুমমেট প্ৰণয়ৰ আগত কথাখিনি কৈ কৈ গালি পাৰি আছিল। এনেতে দেৱাশীষ সোমাই যোৱাত সি আকৌ তাক চিঞৰি চিঞৰি ক'লে,

"কি কাৰণত আপুনি মোক ক্ষমা খুজিবলৈ কৈছিল হা? কি ভুল কৰিছিলো মই?"

দেৱাশীষে দুইটা হাতেৰে তাৰ বাহুদুটাত ধৰি কোমল মাতেৰে ক'লে,

"শান্ত হ অভিমন্যু। তোক ক্ষমা খুজিবলৈ কৈছিলো। ক্ষমা কৰিবলৈ কোৱা নাই।"

দেৱাশীষৰ কথা বুজি নাপাই অভিমন্যুয়ে আকৌ সুধিলে, "মানে?"

"মানে এইটোৱে যে চব্বিছ ঘন্টাৰ ভিতৰত যদি তাক খেদি মই কেন্টিনলৈ নতুন দোকানী আনিব নোৱাৰোঁ, মোৰ নাম দেৱাশীষ নহয় চাই থাক।"

লগে লগে চকু দুটা উজলি উঠিল অভিমন্যুৰ। প্ৰণয়ো উঠি আহিছিল বিচনাৰ পৰা। কি বা কৰে দেৱাশীষে।

"আপুনি সঁচাই কৈছে?" অভিমন্যুৰ যেন বিশ্বাস হোৱা নাছিল। দেৱাশীষে হাঁহি মাৰি ক'লে,

"তহঁত চব মোৰ ভাই হয়। আৰু মোৰ ভাইক গালি দি সি কি সাৰি যাব নেকি? চাই থাক তাক কেনেকৈ খেদাওঁ মই।"

এইবাৰ প্ৰণয়লৈ চাই ক'লে,

"প্ৰণয়, তই এতিয়াই এখন এপ্লিকেচন লিখ DSW লৈ কেন্টিনৰ কম্প্লেইন দি। যিমান পাৰ দোষ খুচৰি খুচৰি ভৰা তাত। ষ্টুডেন্টৰ টকা মাৰা, বস্তু কম থকা, দাম বঢ়োৱা, মিছ বিহেভ যিমান পাৰ ভৰাই যা। অনুৰণ আৰু অভিমন্যু মোৰ লগত আহ গোটেই উইং ৰিপ্ৰেজেন্টেটিভ কেইটাক খবৰ দি কমন ৰুমলৈ মাত। এতিয়াই মিটিং হ'ব।"

লগে লগে কথা মতে কাম। কাগজ কলম উলিয়াই প্ৰণয়ে এপ্লিকেচন লিখাত ব্যস্ত হ'ল। কিছু সময়ৰ পাছতে আৰম্ভ হ'ল পাটকাই এডমিন বডীৰ মিটিং। বেলেগ হোষ্টেলাৰ বুলি অকল অনুৰণ আৰু অভিমন্যু। অভিমন্যুক লৈয়ে ঘটনাটো হোৱাৰ বাবে সি

Kaushik

থকাটোতো স্বাভাৱিকেই। অনুৰণ সাধাৰণতে এইবোৰ মিটিঙত নাথাকে। কিন্তু যুক্তিৰে ৱাৰ্ডেনকো সিদ্ধান্ত সলাবলৈ বাধ্য কৰোৱা অনুৰণৰ উপস্থিতি যেন জৰুৰী আছিল। মিটিঙত দেৱাশীষে সকলোকে দোকানীটোৰ দুৰ্ব্বব্যৱহাৰৰ কথা কৈছিল। লগতেই উইং থ্ৰীৰ নীলিমেই কৈছিল তাৰ লগৰ এটাকো এবাৰ বেয়াকৈ কোৱাৰ কথা। আচলতে তাৰ অভব্য ব্যৱহাৰ আৰু বস্তুৰ বেছি দামক লৈ বহুতো হোষ্টেলাৰেই অতিষ্ঠ হৈছিল। গতিকে এতিয়া তাৰ গতি লগাবলৈ সকলো বদ্ধ পৰিকৰ। দেৱাশীষে চবকে নিজৰ নিজৰ উইঙৰ পৰা ল'ৰাবোৰৰ চহী আনিবলৈ ক'লে। যদি এশটাতকৈ বেছি চহী গোট খাই তেন্তে সিহঁতে DSW ক মানে দীনক অভিযোগ দিব পাৰিব। আৰু এবাৰ DSW য়ে অৰ্ডাৰ দিয়াৰ পাছত ৱাৰ্ডেনেও একো কৰিব নোৱাৰে। সকলোৱে চহী গোটোৱাৰ দায়িত্ব লৈ ৰুমে ৰুমে গ'ল।

ৰুমলৈ আহি থাকোঁতেই বাটত অনুৰণক অভিমন্যুয়ে ক'লে,

"থেংকচ বে ভাই, তুমিয়ে বচালা আজি মোক।"

সঁচাকৈ অনুৰণ নথকা হ'লে আজি কি হ'ল হেঁতেন ঠিক নাই। ৱাৰ্ডেনৰ সমুখত সেইটো মাতত কথা কোৱাৰ সাহস বেলেগতো বাদেই স্বয়ং দেৱাশীষৰো নাছিল। ৱাৰ্ডেনে নুশুনেও কাৰো কথা। কিন্তু অনুৰণৰ যুক্তি মানি নলৈ নোৱাৰিলে তেওঁ। অভিমন্যুৰ কথাত হাঁহি মাৰি অনুৰণে ক'লে,

"ভাই বুলিও মাতিছা আৰু থেংকচো কৈছা?"

অভিমন্যু গবা মাৰি সাৱটি ধৰিলে তাক। অলপ সময় কথা পাতি দুয়োটা নিজৰ ৰুম পালেগৈ।

পিছদিনা ক্লাছত অভিমন্যু আৰু সন্ধ্যাৰ নাচৰ কথা ওলোৱাত লাজত তলমূৰ কৰিছিল সন্ধ্যাই। অনুৰণহঁতে নক'লেও বহুতে সিহঁতক দেখিছিল নাচি থকা। কিহে যে পাইছিল সন্ধ্যাক সেই সোপা খাবলৈ। অনুৰণে জোকাইছিল,

"ঘোটা খাই কি কি যে কথা কালি"

"ঐ, কি কি কৈছিলোঁ মই কোৱা না। যদি কিবা নক'বলগীয়া ক'লো প্লিজ ছিৰিয়াছলি নল'বা। মোৰ একো মনত নাই।"

Kaushik

সন্ধ্যাৰ কথাত হাঁহি মাৰি "একো নাই দিয়া" বুলি আঁতৰিছিল অনুৰণ। ক্লাছত সন্ধ্যা আৰু অভিমন্যুক জোকাই জোকাই শেষ কৰিছিল চবেই,

"ইহঁত দুটাক আনিবই নালাগিছিল।"

"কি প্ৰেম ঔ দুইটাৰ ভাং খাই লৈ।"

"ইমান ধুনীয়া লাগিছিল জাননে দুইটাক একেলগে।"

উত্তৰত সদায়ৰ দৰেই হাঁহি মাৰি থৈছিল সন্ধ্যাই।

দুপৰীয়ালৈ অভিমন্যুহঁতে আশা কৰাতকৈও বেছি চহী সংগ্ৰহ হ'ল। দেৱাশীষ দাৰ ৰুমত গৈ হে সি গম পালে মুঠ ১৭০ টা মান চহী। আচলতে কেন্টিনৰ কাৰবাৰ বোৰত সকলোৱে খঙত আছিল। দেৱাশীষে এপ্লিকেচন লৈ DSW ৰ ওচৰ পালেগৈ। কিছু সময় তেওঁক কথাখিনি বুজাই এপ্লিকেচন থন দি আহিল। ১৭০ টা চহীৰ এপ্লিকেচন, কাম নকৰাৰ কথাই নাহে। সেইদিনা সন্ধিয়ালৈকে অৰ্ডাৰ আহিল, কেন্টিন বন্ধ কৰিব লাগে। নতুন মানুহ দিয়া হ'ব। খবৰটো লৈ অভিমন্যু নিজেই কেন্টিন পালেগৈ,

"দাদা, আমিতো অভদ্ৰ ল'ৰা। নালাগে দিয়ক আপুনি ইয়াত থাকিব। এইয়া অৰ্ডাৰ আহিলেই। এতিয়া টোপোলা বান্ধক।"

দোকানীটোৱে কথা খিনি গম পাই দেৱাশীষকে উধাই মুধাই গালি পাৰিছিল,

"ই দেৱাই মোক শেষ কৰি দিলে। ইয়াক সুদাই নেৰো মই।"

এসময়ত তাৰ চিঞৰ বাখৰত অতিষ্ঠ হৈ বিপ্লৱে খঙত চিঞৰিলে,

"তই হোষ্টেলৰ পৰা নিজে ওলাবি নে গতিয়াই উলিয়াম তোক? অৰ্ডাৰ আহিল যেতিয়া ৱাৰ্ডেনেও বচাব নোৱাৰে কিন্তু।"

টালি টোপোলা বান্ধি সি ওলাই গ'ল। অৱশেষত কেন্টিন পূৰাণ তাতেই শেষ। নতুন মানুহ বিচৰাৰ দায়িত্ব দেৱাশীষেই ল'লে।

কিছু দিন ক্লাছৰ ব্যস্ততাৰ মাজেৰেই পাৰ হ'ল। তাৰ পাছতেই আহিছিল ভাৰ্চিটী উইকৰ পাছত সকলোৱে বিচাৰি থকা দিনটো। হয়, প্ৰতিখন হোষ্টেলৰ Grand Feast। অৰ্থাৎ ভাৰ্চিটী উইকৰ পাছতে প্ৰতিখন হোষ্টেলতে মহাভোজৰ আয়োজন হয়। ঠিক মেচ

Kaushik

এগুিঙৰ দৰেই। ইয়াকে লৈ সকলোৰে হেঁপাহৰ অন্ত নাথাকে। তাৰো কাৰণ আছে। এই grand feast ত পেয়াৰিং হোৱা হোষ্টেলৰ প্ৰতিযোগিতাত ভাগ লোৱা সকলোকে নিমন্ত্ৰণ জনায়। অৰ্থাৎ বয়জ হোষ্টেলত যদি grand feast হয় সেইখনৰ লগত যিখন গাৰ্লচ হোষ্টেল ভাৰ্চিটী উইকত পেয়াৰিং হৈছিল তাৰ পৰা বিহু, নাটক, কোৰাচ আদি দলীয় প্ৰতিযোগিতাত ভাগ লোৱা প্ৰত্যেক জনকেই নিমন্ত্ৰণ জনায়। লগতে অৱশ্যে বাকী সকলো হোষ্টেলৰ এডমিন বডীও আহে। ইয়াকে লৈও হোষ্টেলৰ বোৰৰ মাজত এক শীতল যুদ্ধও নোহোৱা নহয়, কোনে কিমান খোৱাব পাৰে। মুঠতে বিয়াৰ পাছৰ আঠমঙলা আৰু ভাৰ্চিটী উইকৰ পাছৰ grand feast, যিয়ে খাইছে সি হে বুজিব ইয়াৰ সোৱাদ। প্ৰথমেই সোৱণশিৰীত আয়োজন হ'ল grand feast। কিমান গেষ্ট মাতিব, কোন কোন আহিব তাৰ হিচাপ কৰি কুপন তৈয়াৰ কৰাত লাগিল ৰীণাহঁত। সকলো গেষ্টৰ উপৰিও এডমিন বডীৰ সকলোৰে স্পেচিয়েল গেষ্ট এজন থাকেই। সেয়া লাগিলে কাৰোবাৰ প্ৰেমিকেই হওঁক, কাৰোবাৰ বিশেষ বন্ধুয়েই হওঁক নাইবা কাৰোবাৰ মামাকৰ ল'ৰা নাইবা খুৰাকৰ ল'ৰা। গোটেই কেইজনী প্ৰিফেক্টে তেনেকুৱা স্পেচিয়েল সকলৰ বাবে একোখনকৈ কুপন লুকুৱাই ৰাখেই।

সেইদিনা কুপনৰ হিচাপ চাই থাকোঁতে সন্ধ্যায়েই ক'লে,

"বিদিশা বা, মোকো দুখন কুপন লাগিব।"

কাষতে থকা ৰীণাই টপকৈ মাতিলে,

"তোক কুপন কেলে? অভিমন্যুতো এনেও আহিব।"

"তালে নহয়, বেলেগলৈ।"

সন্ধ্যাৰ কথাত দুখন কুপন তাইলৈ আগবঢ়াই দিলে বিদিশাই। সোৱণশিৰীৰ বৰবিহুৱতীক না কৰাৰ প্ৰশ্নই নুঠে। সন্ধ্যাই কুপন দুখন লৈছিল অনুৰণ আৰু জুৰিলৈ। কাকো নক'লেও তাই জানে, সিহঁত দুটা নথকা হ'লে তাই কেতিয়াও নিজিকে। হোষ্টেলৰ ছিনিয়ৰে গম নোপোৱাকৈ নিজৰ গগণা তাইক দিবলৈ কম সাহস কৰিছিল নে জুৰিয়ে? ছিনিয়ৰে গম পালে যে হোষ্টেলত থাকিব নোৱাৰা কৰিব। আৰু অনুৰণৰ কথাটো ক'বই নালাগে। মুঠতে সিহঁত দুটাক মাতিবই লাগিব।

নিৰ্দিষ্ট দিনত grand feast অনুষ্ঠিত হ'ল। সোৱণশিৰীৰ কমন ৰুমত মানুহে ভৰি গৈছিল। সোৱণশিৰীৰ বাটটো দিপাৱলীৰ দৰেই লাইটেৰে সজাইছিল। মুখতেই টেবুল এখনত দীপা

Kaushik

বা বহি লৈ কুপনবোৰ চেক কৰিছিল। অনুৰণ, অভিমন্যুও আহিছিল। অভিমন্যুয়ে চবৰে লগত হাঁহি মাতি কথা পতাৰ বিপৰীতে অনুৰণৰ কি যে লাজ। সন্ধ্যা সেইবাবেই ওচৰে ওচৰে আছিল তাৰ। মাজে মাজে জোকাইছিলো তাক,

"ঐ, কাৰোবাক পচন্দ হৈছে যদি কোৱা। ফিক্স কৰাই দিম মই।"

"পলাম কিন্তু দেই মই।"

তাৰ কথাত হাঁহিত ৰ'ব পৰা নাছিল সন্ধ্যা। নহ'ব মানে এই ল'ৰাটোৰ।

ভাতৰ লগতে আইটেমো আছিল বহু কেইটা। তথাপিও অভিমন্যুৰ উপায় নাপাই সন্ধ্যাই মাংসৰ দুটা বাতি আনি দিছিলহি তাক। ৰীণা বাহঁতে ব্যস্ততাৰ মাজেৰেও ভালকৈ তদাৰক কৰিছিল সকলো। ভালদৰেই পাৰ হৈছিল সোৱণশিৰীৰ grand feast।

ইয়াৰ কিছুদিন পাছতেই পাটকাইত আয়োজন কৰা হ'ল grand feast। এনেও পাটকাই হোষ্টেলটো ডাঙৰ, গতিকে আয়োজনো বৃহৎ। সৰু সুৰা ফাংচনেই আয়োজন কৰি পেলাইছিল সিহঁতে। grand feastৰ এই কালচাৰটোক reunion বুলিও ক'ব পৰা যায় আচলতে। একেলগে প্ৰায় একমাহ সময় প্ৰেকটিছ কৰাৰ পাছত গ্ৰুপৰ গোটেইবোৰক একেলগে পাই কিছু সময় কটাবলৈ সকলোৰে মন যায়। সেইটো সুযোগ এই grand feast য়ে আনি দিয়ে। পাটকাইৰ মানুহ সৰহ বাবে ব্যস্ততাও অধিক। আবেলিৰ পৰাই ইটো সিটো কামত টাকুৰি ঘূৰা দি ঘূৰি আছিল দেৱাশীষ, বিপ্লৱহঁত। আন্ধাৰ হোৱাৰ লগে লগেই ইটো সিটোকৈ মানুহবোৰ আহিবলৈ লৈছিল। পাটকাইৰ বৃহৎ কমন ৰুমটোতে প্ৰগ্ৰামৰো আয়োজন কৰিছিল। সকলো গৈ তাৰেই সজাই থোৱা চকীবোৰত বহিছিলগৈ। অলপ পলমকৈ বিদিশা, সন্ধ্যাহঁতো আহিছিল। দেৱাশীষে নিজেই আগবঢ়াই আনিছিল সিহঁতক। এটা কমলা ৰঙৰ কুৰ্তা পিন্ধিছিল সন্ধ্যাই। বাওঁফালৰ বাহুৰ পৰা সোঁফালৰ কঁকাললৈকে নীলাকৈ ফুলৰ ডিজাইন এশাৰী আছিল। কাণত অলপ ওলমা ফুলি এযোৰ। চুলিখিনি মেলি এফলীয়াকৈ পেলাই অহা সন্ধ্যাক দেখি পাটকাইৰ কেইবা যোৰা চকুয়ে দৃষ্টি ঘূৰাব পৰা নাছিল। এটা ল'ৰাই তাইক আগবাঢ়ি গৈ ক'লে,

"বৌ, পালেহি?"

"বৌ?" সন্ধ্যাই আচৰিত হৈ সুধিলে।

"কেলে আপুনি আমাৰ অভিমন্যুৰ বৌ নহয় জানো?"

kaushik

ল'ৰাটোৰ কথা সন্ধ্যাহঁতৰ গোটেই ছোৱালীখিনি গিৰ্জনি মাৰি হাঁহিছিল। চঞ্চল হাঁহিৰ কোলাহলে ভৰা পৰিছিল পাটকাইৰ শিখৰ। অভিমন্যুয়ে তাইক কাণে কাণে কৈছিলহি,

"বেছি ধুনীয়া হৈ গৈছ দেই তই। প্ৰপোজ মাৰি দিম কোনোবা দিনা।"

"যাহ এইডাল।" বুলি হাঁহি হাঁহি আঁতৰি গৈছিল সন্ধ্যা।

কমন ৰুমত প্ৰগ্ৰামত সকলোৱে সন্ধ্যাক কৈছিল গান এটা গাবলৈ। তাই প্ৰথমতে নাগাওঁ বুলি ক'লেও সকলোৰে অনুৰোধ পেলাব নোৱাৰি গালে গৈ শ্ৰেয়া ঘোষালৰ বিখ্যাত গীতটো,

"Leja leja re mehki raat mein churake saare rang leja

raati raati main bheegun saath mein tu aisi mulakaat deja"

সন্ধ্যাৰ মাতটো এনেই মিঠা। তাতে ইমান ধুনীয়া গানটো শুনি সকলোৱে ৰ লাগি চাইছিল তাইলৈ। ৰুমটোত লাইট নাছিল। হালধীয়া টুনী লাইটবোৰ শাৰী শাৰীকৈ লগোৱা আছিল। তাৰেই পাতল পোহৰ পৰিছিল সন্ধ্যাৰ মুখত। এন্ধাৰতেই তাই দেখিছিল কমন ৰুমটোৰ দুৱাৰ মুখতে হাত কেইখন সাৰটি দুৱাৰত ভেঁজা দি তাইৰ ফালে চাই ৰৈছিলহি ওখকৈ ছাঁয়া মূৰ্তি এটা। মুখখন ধৰিব নোৱাৰিলেও সন্ধ্যাই চিনি পাইছিল সেয়া কোন। সকলোৰে লাজত এতিয়ালৈকে তাইৰ কাষলৈ নহা অনুৰণে তাইৰ গান শুনিয়েই সেইদৰে ৰৈছিল হয়তো। মিঠা হাঁহিৰে গাই গৈছিল সন্ধ্যাই,

"chahoon paas paas aana, koi dhoondh ke bahana, tumhe apna aana

chahe ruthe ye jamana, chahe maare jag taana, tumko hai pana"

গানটো শেষ হোৱাৰ লগে লগেই চিঞৰ আৰু উকিত কঁপি উঠিছিল কমন ৰুমটো। দুটা মানে অভিমন্যুক পিঠিত ধকিয়াই জোকাইছিল "তোৰেই দিন আৰু" বুলি। সন্ধ্যাই মন কৰিছিল হুলস্থুলৰ মাজতেই দুৱাৰ মুখৰ পৰা আঁতৰি গৈছিল ছাঁয়া মূৰ্তিটো। গানৰ শেষত সিহঁতৰ প্ৰিয় বেদান্ত দাৰ কণ্ঠত "বৰষা পথাৰত" বিহুটোতো এপাক কঁকাল ঘূৰালে চবেই। এই বিহুটো যে এক আৱেগ।

তাৰ পাছতেই খোৱাৰ পৰ্ব। অভিমন্যুহঁতেও সন্ধ্যাহঁতৰ লগতে খাবলৈ বহিছিল। সন্ধ্যাৰ খং উঠিছিল অনুৰণলৈ। তাই ইমান সময় হোষ্টেলত আছে, সি এবাৰো নাহিল তাইক লগ কৰিবলৈ। হয়, তাইৰ লগত আৰু দহ বাৰ জনী ছোৱালী আছে বাৰু সেইবুলিনো তাৰ ইমান লাজ নে? বেছি অলপ। ভাত খাই উঠি আইচক্ৰীম কেইটা দেখি টকালি

Kaushik

মাৰিছিল সন্ধ্যাই। পাটকায়ে এই কামটো বঢ়িয়া কৰিছে। কিন্তু আইচক্ৰীমটো ল'বলে লওঁতেই অভিমন্যুয়ে দবিয়াই উঠিল,

"একদম হাত নলগাবি তাত।"

কাৰণ সি জানে, সন্ধ্যাৰ অকমাণতেই বেমাৰ হয়। তাতে পৰীক্ষা আহি আছে, এই সময়ত ঠাণ্ডা খোৱা মাতে বেমাৰক নিজে মতা। সন্ধ্যাই মুখ ফুলাই ক'লে,

"বেছি কৰ অলপ, এনেকে আলহীক অপমান কৰিব নাপায়।"

অভিমন্যুয়ে ধমকি মাৰি ক'লে,

"এইচব কৈ লাভ নাই। খাবলৈ মানা কৰিছো একদম নাখাবি। কথা ক'লে শুনিবি।"

"এইডাল যে চবতে বেছি অলপ।" বুলি উচাৎ মাৰি গৈ পাটকাইৰ বাহিৰ পালেগৈ। ওচৰত থকাখিনি হাঁহি উঠিছিল সিহঁতৰ মৰমসনা কাজিয়াত। খঙত মুখ খন ফুলি আহিছিল সন্ধ্যাৰ। চবৰে আগতে এনেকৈ গালি পাৰিছে সি। তাই একদম নামাতে তাক। বিদিশাহঁত অহা নাছিল বাবেহে ৰৈ আছিল তাই। নহ'লে কেতিয়াবাই হোষ্টেল পালেগৈ হেঁতেন। এখোজ দুখোজকৈ তাই পাটকাইৰ সমুখৰ কৃষ্ণচূড়া জোপাৰ তল পালেগৈ। প্ৰকাণ্ড গছজোপাৰ ডাল পাতে ভৰি থকাৰ বাবে এইখিনি অলপ এন্ধাৰ। আঁতৰৰ চাইকেল ষ্টেণ্ডটোৰ পৰাহে অলপ পাতল পোহৰ এটা বিয়পি আছে। সন্ধ্যাই মোবাইলতে কিবা খুচৰি আছিল। এনেতে কোনোবাই মাতিলে,

"এইটো লোৱা।"

ঘূৰি চাই দেখে হাতত আইচক্ৰীমৰ বাটিটো লৈ ৰৈ আছিল অনুৰণ।

"তুমি? নামাতিবা যোৱা মোক। অথনিৰে পৰা এবাৰো নাই অহা মোক মাত লগাবলৈ।" সন্ধ্যাই মুখখন ঘূৰাই দিলে। অনুৰণে তাইৰ সমুখলৈ গৈ ক'লে,

"তেতিয়া যে চব আছিল লগত। এতিয়া যে অকলে আছা।"

সন্ধ্যাই তাৰ চকুলৈ চাইছিল। সঁচাকৈ, ভিৰৰ মাজততো সংগ সকলোৱে দিয়ে। কিন্তু অকলশৰীয়া সময়ত লগ দিয়া এজন পোৱাটো সঁচাই ভাগ্যৰ কথা। তাই আইচক্ৰীমটো লৈছিল অনুৰণৰ পৰা।

"বেছি নাখাবা কিন্তু। অলপ খোৱা।" সি কৰ্তৃত্বৰ সুৰত ক'লে।

Kaushik

সন্ধ্যাৰ খাই খাই কৈছিল,

"অকে বাবা জাষ্ট অকণমান খাম।"

ফাগুণৰ চঞ্চল বতাহ জাক বলিয়ে আছিল। কৃষ্ণচূড়াৰ পাহি এটি উৰি সিহঁতৰ কাষতে পৰিছিল। সন্ধ্যাই এচামুচ অনুৰণলৈও আগবঢ়াই দিলে। সি চামুচখন আনি নিজেই খাই তাইলৈ চাই ক'লে,

"বেলেগক নক'বা আকৌ মই আইচক্ৰীম খোৱালো বুলি।"

হাঁহি উঠিছিল সন্ধ্যাৰ। অভিমন্যুলৈ ইয়াৰো ভয় মানে। হাঁহি হাঁহিয়ে ক'লে তাই,

"চিন্তা নকৰিবা, নকওঁ মই কাকো।"

সেই বতাহজাক বলিয়ে আছিল। ফৰকাল আকাশখনত জিলিকি আছিল জোনটোও। পাটকাইৰ ভিতৰত ফুল ভলিউমত বাজি থকা গানটো কাণত পৰিছিলহি,

"এলাগী এলাগী মন পদূলিতে নমালা প্ৰীতিৰে জোনাক,

বিচাৰিছোঁ কাষৰতে সদায়ে তোমাক,

হ'লাহি কি বুকুৰ আপোন নকওঁ মই আনক..."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 65

হঠাৎ সন্ধ্যাৰ মোবাইলটো বাজি উঠিল। কংকনাই কৰিছে,

"ক'ত গ'লি তই? আমি গোটেই গ্ৰুপটো ফটো উঠিবলৈ ৰৈ আছোঁ। তই নাথাকিলে কেনেকৈ হ'ব কচোন। আহ জল্দি।"

"গৈছোঁ ৰ" বুলি ফোনটো কাটিলে সন্ধ্যাই। আইচক্ৰীমৰ বাটিটো অনুৰণলৈ আগবঢ়াই দিলে,

"মোক ভিতৰলৈ মাতিছে।"

"যোৱা।" বাটিটো লৈ অনুৰণে ক'লে।

সন্ধ্যা যোৱাৰ ফালে চাই ৰৈছিল সি কিছু সময়।

ভিতৰলৈ গৈ দেখে জুৰি, অভিমন্যু গোটেই জাক ৰৈ আছে তাতেই। তাই গৈ পাওঁতেই অভিমন্যুয়ে সুধিলে,

"কি ছোৱালী অ' তই, সৰু কথাটোতে লাগি বাহিৰত ৰৈ আছ।"

"অঁ থাকিমেই যা। নিদিছিলি নহয় মোক আইচক্ৰীম খাবলে।" সন্ধ্যাই অভিমানৰ সুৰত ক'লে।

"হ'ব দে, এই এচামুচ খা বাৰু।" অভিমন্যুয়ে তাৰ বাটিটোৰ পৰা আইচক্ৰীম এচামুচ উলিয়াই তাইলৈ আগবঢ়াই ক'লে। সন্ধ্যাইনো কেনেকৈ কয় যে অনুৰণে তাইক দিলে বুলি। অভিমন্যুয়ে আগবঢ়াই দিয়া চামুচ খনৰ পৰা মুখেৰে আইচক্ৰীম খিনি খালে তাই। অভিমন্যুয়ে খোৱাই দিয়া দেখাৰ লগে লগেই গোটেই বোৰে চিঞৰি উঠিছিল। জুৰিয়ে আগবাঢ়ি আহি কৈয়ে পেলালে,

"যি আছে আছে, আজি অফিচিয়েল হৈয়ে যাওঁক। অভিমন্যু, প্ৰপোজ কৰ তই সন্ধ্যাক।"

লগে লগেই বেদান্ত, বিপ্লৱহঁতো আগবাঢ়ি আহিল চিঞৰিবলৈ লাগিল,

"বঢ়িয়া, অভিমন্যু। আগবাঢ়।"

"Come on my boy."

দুই তিনিটা মানে "অভি অভি" বুলিও চিঞৰি আছিল। এইফালে সন্ধ্যাৰ লাজত অৱস্থা নাই। তাই আঁতৰিও যাব খুজিছিল। কিন্তু বিদিশাহঁতে টান মাৰি ৰখালে। মুঠতে আজি অভিমন্যুয়ে প্ৰপোজ কৰিবই লাগিব। শেষত অভিমন্যুৰো লাজ লাজ লাগিল চবৰে আগত। "ধেৎ" বুলি বেদান্তহঁতক ঠেলা মাৰি আঁতৰি গ'ল সি। গোটেইবোৰে হাঁহিত জীপাল কৰিছিল ৰাতিটো।

গ্ৰুপ ফটোবোৰ উঠাৰ পাছতে সন্ধ্যাহঁত সোৱণশিৰীলৈ উভতিছিল। উৰে বাটটো সেই প্ৰেকটিচৰ পৰা অহাৰ দৰেই চিঞৰি গান গাই আহিছিল। আজিয়ে ভাৰ্চিটী উইকৰ অফিচিয়েল সামৰণি। অহা বাৰলৈ আকৌ নতুন গ্ৰুপ হ'ব। সময় বোৰ আগুৱাব,

ব্যস্ততাই মেৰিয়াব। বহুদিনৰ পিছত ফটোবোৰ চালে এই দিনবোৰ মনত পৰিব। হয়তো মুখেৰে গুণগুণনি এটি ওলাব,

"বৰষা পথাৰত অ' ভনীটি ৰহেদৈ........"

এইবোৰৰ পাছতেই পৰীক্ষা আৰম্ভ হৈছিল। এটা ছেমিষ্টাৰত ছটাকৈ পৰীক্ষাই সঁচাই এক মানসিক চাপৰ সৃষ্টি কৰে শিক্ষাৰ্থীক। কিন্তু সেয়া কোনে ক'ব কোনে শুনিব। আগৰ পৰাই এইটো ব্যৱস্থায়েই চলি আহিছে ইয়াত। গতিকে উপায় নাই। পৰীক্ষা দি দি আজিকালি বৰ বিশেষ গাত নলগাই হ'ল সন্ধ্যাহঁতৰ। মিড টাৰ্ম আৰু ফাইনেলটোৰ বাহিৰে বাকী কেইটা পৰীক্ষা এনেই ওপৰে ওপৰে দিয়াৰ দৰেই হয়। যি কি নহওঁক, পৰীক্ষা যেন তেনকৈয়ে দিয়া হ'ল।

পৰীক্ষা দি উঠি দুদিনৰ বাবে এপাক ঘৰলৈ গৈছিল সন্ধ্যা। ভাৰ্চিটী উইকৰ ব্যস্ততাত এইটো ছেমিষ্টাৰত ঘৰলৈ যাবলৈকে সময় পোৱা নাছিল তাই। আইতাকে মুখ উফোন্দাইছিল,

"এতিয়া সেইখন হে তাইৰ আপোন হ'ল।"

কেনেকৈনো বুজাই সন্ধ্যাই, এতিয়া যে সোৱণশিৰীয়েই তাইৰ বুকুৰ ঠিকনা। সেই খনৰ দায়িত্ববোৰ এৰিনো আহে কেনেকৈ। ঘৰৰ লগতে গোটেই গাওঁখনত এইবাৰ ইলেকচনৰ ঢৌ। সকলোৰে মুখত "পৰিৱৰ্তন", "জাতি মাটি ভেঁটি", "শৰাইঘাটৰ শেষ ৰণ" এই শব্দকেইটাই আখৈ ফুটাদি ফুটি আছিল। সন্ধ্যাই তেতিয়াহে অনুভৱ কৰিলে তেজপুৰ ইউনিভাৰ্চিটীৰ চৌহদটোৰ ভিতৰত থাকিলে সঁচাই বেলেগ পৃথিৱীত থকাৰ দৰে লাগে। বাহিৰত কি ঘটি আছে একোকে গম পোৱা নাযায়। সেই দুদিন ঘৰত থাকি এটা কথাই বুজিছিল সন্ধ্যাই যে এইবাৰ সকলোৱে এটা নতুন আশা দেখিছে। এখন নিজৰ চৰকাৰৰ সপোন ৰচিছে। বছৰ বছৰ ধৰি অসমে ভাৰ বৈ অহা সমস্যা উৰ পৰাৰ যেন এইয়াই সময়। সেয়া বাৰু সময়ৰ সোঁতত ওলাব। কিন্তু অসমৰ ৰাজনীতিৰ বতাহ জাক যে এইবাৰ উভোটাকৈ ব'ব সেইটো ধুৰুপ।

সন্ধ্যা ঘৰৰ পৰা আহি পাই মানে তেজপুৰ ইউনিভাৰ্চিটী সাজু হৈছিল অইন এটি উৎসৱলৈ। ৰঙৰ উৎসৱ ফাকুৱাৰ। দীপাৱলীৰ দৰেই ফাকুৱাও খুব উলহ মালহেৰে

Kaushik

পালন কৰা হয় কাঞ্চনৰ নগৰীত। চাৰিওফালে গছৰ সেউজীয়া, কাঞ্চনৰ গোলপীয়া, কৃষ্ণচূড়াৰ ৰঙা আৰু নাৰ্জীৰ হালধীয়াই চৌহদটো এনেও ৰঙীন কৰি ৰাখেই, লগতে ৰঙীন কৰে প্ৰতিজন তেজীয়ানৰ যৌৱনৰ বিতোপন ৰংবোৰে। কিন্তু ফাগুণৰ এই হোলীৰ দিনা গোটেই চৌহদে যেন এক ৰঙীন সাজ পিন্ধে। ফাগুণ সেই বাবেই তো ইমান ৰঙীন, পলাশেই হওঁক নাইবা শিমলুৱেই ৰংবোৰ আঁচল ভৰাই যেন আনে ফাগুণে।

ফাকুৱাৰ দিনা দেৰিলৈকে শুই আছিল বিদিশা আৰু সন্ধ্যা। আচলতে এনেকুৱাই হয়, পিছদিনা যদি বন্ধ থাকে আগদিনাৰ ৰাতিৰ আড্ডা দীঘলীয়া হৈ যায়। সিহঁতৰো একেই হ'ল। কথা পাতি পাতি ৰাতি দুইজনীয়ে ভূতৰ চিনেমা চাবলৈ লাগিল। শেষ হওঁতেই পোহৰেই হৈছিলগৈ। সেইবাবে ন টা বজাতো এজনীৰো উঠিব হোৱাই নাই। অলপ সময়ৰ পাছত দুৱাৰত টোকৰ পৰিল। প্ৰথমে সাৰ নাছিল যদিও ধম ধম শব্দত শেষত বিদিশা উঠি আহিল। দুৱাৰখন খুলিছে হে, হঠাৎ এসোপা মন ৰং চকুৱে মুখে পৰিল। বেচেৰীৰ টোপনিৰ জাল গুছাই নাছিল। চকু কেইটাও মেলোঁ নেমেলোকৈ হে মেলিছিল। তাৰ মাজতেই হঠাৎ এইদৰে ৰংবোৰ পৰাত চঁক খাই গ'ল তাই। দুৱাৰৰ সিটো পাৰত খিলখিলাই হাঁহি আছে দীপা আৰু ৰীণাই।

"তহঁত দুজনীক শেষ কৰি দিম আজি মই" বুলি দাঁত কৰছি সিহঁতক খেদি গ'ল বিদিশাই।

"বুৰা না মান' হোলী হে" বুলি দুইজনী দৌৰিলে। উইংটোত এক চিঞৰ বাথৰৰ সৃষ্টি হৈ গ'ল। সন্ধ্যাইও সাৰ পালে তাৰ শব্দতে। উঠিয়েই গম পালে তাই কি হৈছে। মুখখন ধুই তাইও ওলাই আহিল। বিদিশা উভতি আহে মানে মুখত ৰং লাগি তাইৰ অৱস্থা নাই। ৰাতিপুৱাৰ বাহি মুখতে কোনে ৰং লগাই বাৰু? ভোৰভোৰাই আহি মুখখন ধুই সিহঁত গোটেই কেইজনী ওলাই আহিল। Essentialত সকলোৰে হুলস্থুল সোৱণশিৰীলৈকে আহিছিল। ৰাইজে ফাকুৱা আৰম্ভ কৰিলেই মানে। সন্ধ্যা সোৱণশিৰীৰ গেটখন ঠিক পাৰ হৈছিলহে পিছফালৰ পৰা কোনোবাই তাইৰ গোটেই গালে মুখে চুলিয়ে জপটিয়াই ৰং সানিলে। বেচেৰীয়ে চিঞৰ এটা মাৰিবলৈও সুযোগ নাপালে। বিদিশা আৰু ৰীণাহঁতৰ হাঁহি হাঁহি অৱস্থা নাই। চুলিখিনি জোকাৰি চকুৰ পৰা ফাকু গুড়ি বোৰ আঁতৰাই চাওঁতেহে সন্ধ্যাই দেখিলে হাতত ফাকুৱাৰ পেকেটটো লৈ বিশেষ ভংগীমাত তাইলৈ চাই হাঁহি আছে অভিমন্যুয়ে। তাই চকুলৈ চোৱাৰ লগে লগেই চেলাউৰি কেইডাল বিশেষ কায়দাত ওপৰলৈ উঠাই সুধিলে তাইক,

Kaushik

"কেনে?"

"অসভ্য, অভদ্ৰ, বদমাছ তোক ৰ আজি কি কৰোঁ মই।" বিদিশাৰ হাতৰ পৰা ফাকুৱাৰ পেকেটটো টান মাৰি লৈ অভিমন্যুক খেদি গ'ল সন্ধ্যাই। সিও লগে লগে দৌৰ দিলে। তাৰ পৰাই essential লৈকে দৌৰালে তাই। essentialত ইতিমধ্যে বহুত থুপ খাইছিলহি। তাৰ মাজতেই দেৱা দাই দেখি থাপ মাৰি ধৰিলে অভিমন্যুক।

"ধৰক চোন দেৱাশীষ দা, ভালকৈ ধৰক ইয়াক।" পিছে পিছে দৌৰি অহা সন্ধ্যাই চিঞৰিলে। অভিমন্যুক গবা মাৰি ধৰি দেৱাশীষে সন্ধ্যাক মাতিলে,

"ধৰিছোঁ ধৰিছোঁ। আহা।"

সন্ধ্যাই যিমান মন যায় হেঁপাহ পলুৱাই ফাকুৱা ঘঁহিলে তাক। আধা পেকেট তাৰ লগতেই শেষ কৰিলে তাই।

"এইবোৰ অন্যায় দেই দেৱা দা।" বুলি চিঞৰিলেও অভিমন্যুক এৰি দিয়া নাই সি। সন্ধ্যাৰ হালধীয়া ফাকুৱাৰে মুখখন চিনিব নোৱাৰা হ'ল অভিমন্যুৰ। শেষত ফোপাই ফোপাই ক'লে সি,

"ঐ হ'ব আৰু বে। হৈ গ'ল।"

হাঁহি উঠিছিল সন্ধ্যাৰো। তাক এৰি তাই জুৰিহঁতৰ ওচৰ পালেগৈ। essentialৰঙীন হৈ গৈছিল ফাকুৰ ৰঙেৰে। হালধীয়া, নীলা, ৰঙা আদি বিভিন্ন ৰংবোৰ উৰিছিল বতাহত। লাহে লাহে মানুহ বাঢ়ি আহিছিল। দুফালে গাৰ্লচ হোষ্টেল আৰু এফালে বয়জ হোষ্টেললৈ যোৱা ৰাস্তাৰে এই essentialৰ চাৰিআলিটো যেন এক মিলনথলী। সেইবাবে ফাকুৱায়েই হওঁক নাইবা দেৱালীয়েই নাইবা সাধাৰণ যিকোনো এটা দিনেই হওঁক, ইয়াত ভিৰ সদায় বেছি। ৰঙীন মুখবোৰে essentialঘেৰি আছিল। কোনোবাই ৰং সানিছিল, কোনোবাই আকৌ পানীৰে খেল খেলিছিল। কোনোবাই ৰং সানি এনেই ৰৈ আড্ডা মাৰি আছিল, কোনোবাই আকৌ মোবাইলত ফটো নহ'লে ভিডিঅ' কৰি আছিল। মুঠতে চাৰিওফালে ৰং কেৱল ৰং। ফাগুণেই হওঁক নাইবা যৌৱনেই হওঁক, পৰশ সদায় ৰঙীন।

সন্ধ্যাই চিনাকি বোৰক বিচাৰি ৰং সানি আছিল। অনুৰণক বিচাৰিছিল তাই। অভিমন্যুয়ে ক'লে সি হেনো পাটকাইৰ আগত আছে। বয়জ হোষ্টেলবোৰত আকৌ আচৰিত কাৰবাৰ এটা হয়। প্ৰতিখন হোষ্টেলৰ আগফালে গাত এটা এটা খান্দে, আৰু

kaushik

তাত পানী ঢালি ঢালি গোটেইটো বোকাময় কৰি পেলাই। তাৰ পাছতে এটা এটাই জপিয়াই তাত। আৰম্ভ হয় বোকাৰ খেল। যিয়ে তাত নিজ ইচ্ছাৰে নজপিয়াই সিহঁতক দাংকোলাকৈ আনি এটা মূৰৰ ফালে বাহুত আৰু এটা ভৰিত ধৰি দলিয়াই দিলে গাঁতলৈ। essentialৰ পৰা সন্ধ্যা জুৰিহঁতৰ লগত বয়জ হোষ্টেলৰ ফালে আহি থাকোঁতে এবাৰ নীলাচলত সোমাইছিল। এনেও নীলাচলৰ উৎপাতৰ কথা তাই ভাৰ্চিটী উইকতে গম পাইছিলেই, এতিয়া ফাকুৱাত দেখি আৰু আচৰিত। আৰিফটো গোটেইটো বোকাত লুতুৰি পুতুৰি হৈ আছে। প্ৰিফেক্ট মানসৰো একেই অৱস্থা। তালৈ দূৰৰ পৰাই ফাকু ছটিয়াইছিল সন্ধ্যা। এনেতে ভিতৰত লুকাই থকা বেচেৰা ৰাজদ্বীপক দুটা ল'ৰাই দাঙি আনি দলিয়াই দিছিল গাতটোলৈ। তাৰ দশা দেখি সন্ধ্যাহঁত হাঁহিত ৰ'ব পৰা নাই। অভিমন্যুক দেখি আৰিফ দৌৰি আহিছিলেই, সি লগে লগে দৌৰ দি পলাল।

নীলাচলৰ পৰা আগবাঢ়ি গৈ পাটকাইৰ ওচৰ পালেগৈ সন্ধ্যাহঁত। পাটকাইৰ মুখতো নিউ ৱমেনচৰ ছোৱালী আৰু পাটকাইৰ ল'ৰাৰ ভিৰ। তাতেই মায়া বাক সন্ধ্যাই চন্দ্ৰালীৰ কথা সুধিলে, তাইক অথনিৰে পৰা দেখা নাই। মায়াই উত্তৰ দিলে,

"আমাৰ চন্দ্ৰালী বাইদেউ দুৱাৰ হুক মাৰি শুই আছে ভয়তে।"

"কি? ৰ'বা, তাইক আজি ফাকু সানিহে এৰিম।"

সন্ধ্যাৰ কথাত মায়াও আগবাঢ়িল তাইৰ লগতে নিউ ৱমেনচ হোষ্টেলৰ সমুখলৈ। সন্ধ্যালৈ চন্দ্ৰালীলৈ ফোন লগালে,

"চন্দ্ৰা বা, ক'ত আছা?"

"অ সন্ধ্যা কোৱা, মই এই ৰুমতে আছোঁ অ'।" চন্দ্ৰালীয়ে উত্তৰ দিলে। সন্ধ্যাই মাতটো যিমান পাৰি সিমান মিহি কৰি ক'লে,

"বা, বেয়া নোপোৱা যদি পানী অকণ খোৱাবা নেকি? মই মানে তোমালোকৰ হোষ্টেলৰ সমুখতে আছিলো ফাকু খেলি। ইমান পিয়াহ লাগিছে।"

মায়াই মুখ টিপি হাঁহিছিল সন্ধ্যাৰ কথাত। বেচেৰী চন্দ্ৰালীয়ে সন্ধ্যাৰ দুষ্টামি বুজি নাপাই ক'লে,

"ঠিক আছে, মই গৈছোঁ ৰ'বা। তুমি খালী অলপ আগবাঢ়ি আহা হোষ্টেলৰ ফালে। মই মানে আগুৱাই নাযাওঁ, ফাকু ঘঁহিব কোনোবাই।"

Kaushik

'অ   অ মই হোষ্টেলৰ মুখতেই আছোঁ তুমি আহা।" হাঁহিটো কোনোমতে ৰখাই সন্ধ্যাই ক'লে।

অলপ পাছতে পানী বটলটো হাতত লৈ নামি আহিছিল চন্দ্ৰালী। সন্ধ্যা সাজু হৈয়ে আছিল, ওচৰ পাই পানী বটলটো আগবঢ়াই দিয়াৰ লগে লগেই ৰাৱণে সীতাৰ হাতত ধৰা দি থাপ মাৰি ধৰিলে তাই। লগে লগে মায়াৰ লগতে তাইও ঠিকচে ৰং সানিলে চন্দ্ৰালীক। বেচেৰী ততেই নাপালে।

"সন্ধ্যা ঔ, সুদাই নেৰোঁ মই তোমাক" বুলি সন্ধ্যাকো খেদা মাৰি গৈ ফাকু ঘঁহিলে তাই। এসময়ত হাঁহি হাঁহি নিউ ৱমেনচৰ সমুখৰ কলিতা দাৰ দোকানতে বহিল সিহঁত।

"ফাকুৱাৰ দিনা মানুহ ভিতৰত সোমাই থাকে নে? সেই কাৰণেই এনেকুৱা কৰিব লগা হ'ল।" সন্ধ্যাই ক'লে। চন্দ্ৰালীয়েও হাঁহিছিল।

এনেতে তাই পাটকাইৰ ফালে আঙুলিয়ালে,

"সন্ধ্যা, সৌৱা তোমাৰ অভিমন্যুৰ অৱস্থা চোৱা।"

বিপ্লৱ আৰু অমৰে অভিমন্যুকো দলিয়াইছিল পাটকাইৰ আগৰ গাতটোলৈ। তেনেকুৱাতে সন্ধ্যাৰ চকুত পৰিল কলিতাৰ দোকানৰ কাষৰ চাইকেল ষ্টেণ্ড টোতে কোনোবা ল'ৰা দুটাৰ সৈতে কথা পাতি ৰৈ আছিল অনুৰণ। তাৰ মুখত নাম মাত্ৰ ৰং। সন্ধ্যাহঁত দোকানৰ বাৰান্দা খনত আছে বাবে সি দেখা নাছিল। সন্ধ্যাৰ আকৌ দুষ্ট বুদ্ধি এটা খেলালে। দোকানৰ ভিতৰলৈ গৈ কলিতা দাক খুজি সৰু বাল্টি এটাত পানী আনিলে তাই। তাইৰ উদ্দেশ্য বুজি পাই চন্দ্ৰালী সকিয়াই উঠিল,

"ঐ সন্ধ্যা, নালাগে নেকি।"

সন্ধ্যাই মুখত আঙুলি দি ফুচফুচাই ক'লে,

"চু---। একো নহয়।"

এখোজ দুখোজকৈ বাল্টিটোৰে আগুৱাই গৈ অনুৰণৰ ওচৰ পাই পিছফালৰ গোটেই পানীখিনি তাৰ মূৰত ঢালি দিলে সন্ধ্যাই। বেচেৰা অনুৰণ হঠাৎ ক'ৰ পৰা পানী পৰিল বুলি থতমত খাই উঠিল। ওচৰত থকা ল'ৰা দুটাই জোৰকৈ হাঁহি উঠিছিল। চন্দ্ৰালীয়েও মূৰত হাত দি কৈছিল,

"দেখিছ নে এই দুষ্ট জনীৰ কাণ্ড।"

Kaushik

তিতি জুৰুলি জুপুৰি হৈ অনুৰণে চঁক খাই চাই আছিল সন্ধ্যালৈ। তাৰ অৱস্থা দেখি হাঁহি ৰখাব পৰা নাছিল সন্ধ্যাই। হাঁহি হাঁহি কাষৰ গছজোপাতে ভেঁজা দি ৰৈছিল তাই। ৰঙীন মুখেৰে হাঁহি হাঁহি গোটেই ফাগুণখিনি যেন আজুৰি লৈছিল সন্ধ্যাই। এনেতে অনুৰণে হঠাৎ পকেটৰ পৰা ফাকুৱাৰ পেকেটটো উলিয়াই তাইৰ ফালে আগুৱাই গ'ল। সন্ধ্যাও লগে লগে দৌৰ দিলে ৰাস্তাৰ ফালে। পিছে পিছে দৌৰিছিল অনুৰণো। দৌৰি গৈ সন্ধ্যা পাটকাইৰ আগৰ বাছষ্টেণ্ডটোত সোমাল। তেতিয়ালৈ ৰাস্তাত মানুহ কমিছিলগৈ। অনুৰণো তাইৰ পিছে পিছে গৈ তাত সোমালে। সন্ধ্যা পিছুৱাই গৈছিল। অনুৰণো আগুৱাইছিল এখোজ দুখোজকৈ। এবাৰত সন্ধ্যা ৱালখনত লাগি ৰৈ গ'ল। অনুৰণ তাইৰ একেবাৰে কাষ পালেহি। গোটেইটো পানীৰে ভিজি আছিল সি। চুলিৰ পৰা টোপালবোৰ সৰি আছিল। তেনেকৈয়ে আগুৱাই সন্ধ্যাৰ একেবাৰে কাষ পালেগৈ। সন্ধ্যা যেন লাহে লাহে কঁপি উঠিছিল। অনুৰণ আৰু তাইৰ মাজত মাত্ৰ কেইটিমান উশাহৰ দূৰত্ব। অনুৰণৰ চকুৰ পতাৰ পৰা টোপ টোপকৈ সৰি আছে টোপাল। বতাহ এজাক মাৰিছিল। অনুৰণ যিমান আগুৱাই আহিছিল সন্ধ্যাৰ বুকুখনেও যেন সিমানেই শব্দ কৰিছিল। ঘন ঘনকৈ সৰিছিল তপত উশাহবোৰ। সেই আগৰ অনামী অনুভৱটো। কিছু সময় আগলৈকে চঞ্চল হাঁহিৰে ফাগুণৰ পছোৱা হৈ বলা সন্ধ্যা যেন আকৌ শীতৰ কুঁৱলীৰ দৰে চেঁচা পৰিছিল। বৰষুণত তিতাৰ দৰে এক অনুভৱ হৈছিল তাইৰ। কিয় বাৰু? সমুখত অনুৰণ আছে বাবেই নে? অনুৰণে পেকেটটোৰ পৰা ফাকু এমুঠি উলিয়ালে। সন্ধ্যাই গম পাইছে, তাইক ভালকৈয়ে জুবুৰিয়াই ফাকু ঘঁহিব সি। এনেতে পানীৰে তিতি থকা চুলিখিনি জোকাৰি দিলে অনুৰণে, টোপালবোৰ সন্ধ্যাৰ চকুৰে মুখে ছিটিকি পৰিছিল। পানীৰ সৰু সৰু টোপালে চুমি গৈছিল সন্ধ্যাৰ চকুৰ পতা, ওঁঠ। চকুযোৰ জোৰকৈ মুদি দিছিল তাই। সাজু হৈছিল অনুৰণৰ ফাকুৰ আক্ৰমণৰ বাবে। কিন্তু ক'তা? কেই চেকেণ্ড মান পাৰ হ'ল, সি চোন সনা নাই তাইক। তাইতো ভাবিছিল অভিমন্যুৰ দৰে সি জপটিয়াই সানিব তাইক। কাৰণ তাই যে পানীৰে জুবুৰিয়াই আহিছে তাইক। কিন্তু নাই। তাৰ পৰিৱৰ্তে এটা আলফুল পৰশ অনুভৱ কৰিছিল সন্ধ্যাই তাইৰ গালত। লাহে লাহে চকুটো মেলিছিল তাই। অনুৰণে হাত খনেৰে আলফুলকৈ তাইৰ গালত সানি দিছিল নীলা ৰঙৰ ফাঁকু খিনি। ইমান লাহেকৈ তাইৰ গালখন চুইছিল যেন ফুলত হে হাত দিছে। শিয়ৰি উঠিছিল সন্ধ্যা। অনুৰণে হাঁহি মাৰি কৈছিল,

"হেপ্পী হোলী সন্ধ্যা।"

ক'ব নোৱাৰাকৈ সন্ধ্যাৰ মুখতো হাঁহি এটা বিয়পি পৰিছিল। অনুভৱৰ আকুলতাত চকুযোৰ সজল হৈ উঠিছিল তাইৰ। কিছু সময় অনুৰণ শান্ত চকুযোৰলৈ চাইছিল। মানুহক ডুব নিয়াব পৰাকৈ গভীৰ তাৰ চকুযোৰ। সন্ধ্যাক তাতে এৰি অনুৰণ উভতি গৈছিল পাটকাইলৈ। বাছ ষ্টেণ্ডৰ পৰাই তাই চিঞৰিছিল তাক,

"ঐ ল'ৰা, ফাকুৱাও লগাব নাজানা অ' তুমি।"

এবাৰ ঘূৰি চাই হাঁহি হাঁহি অনুৰণে ক'লে,

"জানো, খালী চবকে নলগাওঁ।"

এনেতে জুৰিহঁত আহি পোৱাত সন্ধ্যা আগবাঢ়িছিল সোৱণশিৰীলৈ।

মানুহবোৰ লাহে লাহে হোষ্টেলত সোমাইছিল গৈ। ৰাস্তাবোৰ ৰঙীন হৈ আছিল ফাকুৰ গুৰিৰে। সন্ধ্যাহঁত আহি আহি কাঞ্চনজংঘাৰ ওচৰ পাই ৰৈ গ'ল। পুলটোত ময়ূঁৰ বহি আছে। একেথৰে সি চাই আছে ৰাস্তাটোত পৰি ৰোৱা ফাকুখিনিলৈ। জুৰিয়ে আগুৱাই গৈ মাতিলে তাক,

"ঐ, কি হ'ল আজি নোলালিয়েই যে তই।"

সি উত্তৰত মাত্ৰ হাঁহিলে। জুৰিয়ে আকৌ সুধিলে,

"এই তলত পৰি থকা ৰংবোৰ কি চাই আছ নো?"

ময়ূঁৰে তলৰ ৰাস্তাত পৰা আঙুলিৰে অলপ পৰি থকা ৰং হাতেৰে চুই চালে। জুৰিয়ে চিঞৰি উঠিল,

"ছিহ, কি নো লেতেৰা সোপা চুইছ।"

ময়ূঁৰে নিজক কোৱাৰ দৰেই কৈছিল,

"ৰংবোৰ চোন একেই আছে, আদৰ বোৰ নো কিয় হেৰাই যায়? অকল সৰি যোৱাৰ বাবেই নে?"

জুৰিহঁতে আচৰিত হৈ চাইছিল ময়ূঁৰলৈ। প্ৰতিটো বস্তুক বেলেগ দৃষ্টিৰে কেনেকৈ চাই এই ল'ৰাটোৱে? যি নহওঁক তাক তাতে অকলে এৰি সন্ধ্যাহঁত আগবাঢ়িছিল হোষ্টেললৈ। ৰাস্তাটো তেতিয়া খালী। ময়ূঁৰ পুলটোতে বহি ৰ'ল। এচাটি বতাহ ফাগুণৰ সুৰত

Kaushik

বলিছিল। এনেতে ময়ূঁৰৰ কাষত বহিছিলহি কোনোবা। ৰাস্তাৰ পৰা লোৱা ৰংখিনি তেওঁৰ মুখত সানি ময়ূঁৰে কৈ উঠিল,

"ৰাধা....."

ফাকুৱাৰ পাছত আকৌ নিয়মিত ক্লাছ। সময় পাৰ হোৱাৰ লগে লগে বহাগৰ পৰশ এটাও পৰিছিল চৌহদটোত। কুলিৰ মাতবোৰ শুনা গৈছিল য'ত ত'ত। পাতৰ আঁৰত লুকাই ফুলিছিল নাহৰবোৰো। বহাগৰ আগমণৰেই বতৰ। পিছে তাৰ আগে আগে মিড টাৰ্মৰো যো জা চলিছিল। লাহে লাহে লাইব্ৰেৰীলৈ যাবলৈ আৰম্ভ কৰিছিল সন্ধ্যাহঁতে।

সেইদিনা আছিল শুক্ৰবাৰ। শোৱাৰ পৰা উঠি গাটো ধুই আহিছিলহে সন্ধ্যা। সাত মান বাজিছিল হ'বলা। এনেতে অভিমন্যুয়ে ফোন কৰিলে,

"তোৰ লগত ডাঙৰ কথা এটা আছে, এবাৰ তললৈ আহচোন। মই সোৱণশিৰীৰ আগতে আছোঁ।"

আচৰিত হৈছিল সন্ধ্যা, অভিমন্যু আজি সাতটাতে উঠিল যে। আৰু অলপ পাছতে ক্লাছ থকাৰ পাছত কথা ক'বলৈ হোষ্টেল কিয় আহিল।

"অলপ পাছত ক্লাছ আছেই চোন।"

"আস সা, বুজ না। ক্লাছত ক'ব পৰা কথা নহয়।"

অভিমন্যুৰ সুৰত আচৰিত হৈছিল সন্ধ্যা। চিন্তাত পৰিল তাই। লগে লগেই নামি আহিছিল তললৈ। অভিমন্যু ৰৈ আছিল। তাই ওচৰ চপাৰ লগে লগে সি ক'লে,

"তই কথাটো প্লিজ কাকো নক'বি।"

সন্ধ্যাই আচৰিত হৈ কৈছিল,

"নকওঁ দে, কচোন কি কথা?"

"মানে সন্ধ্যা....."

"ক আকৌ।" তাইৰ যেন ধৈৰ্য হেৰাইছিল।

অভিমন্যুয়ে কঁপা কঁপা মাতেৰে ক'লে,

Kaushik

"ময়ূঁৰে তোক ভাল পায়। মোক নিজেই কৈছে। তাকতো জানই সি কথা তেনেকৈ নকয়, সেইবাবে মোক ক'বলৈ কৈছে।"

অভিমন্যুয়ে যেন সন্ধ্যাৰ চকুলৈ চাব পৰা নাছিল। উশাহ ল'বলৈ পাহৰি স্তব্ধ হৈ ৰৈ গৈছিল সন্ধ্যা।

(আগলৈ)

#নিৰিবিলি

Part 66

নভবা কথাবোৰ হঠাতেই হয় চাগে। হঠাৎ ময়ূঁৰৰ পৰা এই প্ৰস্তাৱটো পাই ৰৈ গৈছিল সন্ধ্যা। তাৰ শান্ত মুখখন মনলৈ আহিছিল বাৰে বাৰে। কেনেকৈ সি সন্ধ্যাৰ প্ৰতি তেনেকুৱা ভাৱ ৰাখিব পাৰিলে। আজিলৈকে সিহঁতে ভালকৈ কথাও পাতি পোৱা নাই চোন। তেন্তে?

সন্ধ্যাক কথাষাৰ কৈয়ে অভিমন্যুয়ে চাইকেল ঘূৰালে যাবলৈ। সন্ধ্যাই মাতো নামাতোকৈ মাতিলে তাক,

"অভি, ৰহ।"

সি ৰ'ল। সন্ধ্যাই কাষ চাপি ক'লে,

"এইবোৰ কি কথা অভি? ময়ূঁৰক মই কেতিয়াও তেনেকৈ ভবা নাই। আৰু...."

তাইৰ কৈ শেষ নহওঁতেই অভিমন্যুয়ে গহীন সুৰেৰে কৈ উঠিল,

"মই সেইবোৰ নাজানোঁ। মাত্ৰ ময়ূঁৰক মই দুখত থকা চাব নোৱাৰোঁ। তোৰ কিবা কথা আছে যদি ময়ূঁৰৰ লগতে পাতিবি।"

তাৰ পাছতে সি গ'ল গৈ। সন্ধ্যাই চাই ৰৈছিল অভিমন্যু essential পাৰ নোহোৱালৈকে।

এখোজ দুখোজকৈ ৰুমত সোমাইছিলহি তাই। ৰুমত হুলস্থুল, বিদিশা বাই গালি পাৰি আছে চিঞৰি চিঞৰি। কি বা হ'ল। সন্ধ্যাই সোধাত বিদিশাই ক'লে। ৰীণা আৰু দীপাই মিলি তাইক কৰা নগুৰ নাকটি খনৰ কথা। ঘটনাটো হ'ল এনেকুৱা, বিদিশাই গা ধুই আছিল বাথৰুমত। এই দীপাহঁতে সিটো বাথৰুমত সোমাই ৱালৰ ওপৰেদি কৃত্ৰিম

পুতলাৰ সাপ এডাল ভৰাই দিয়ে। বেচেৰী বিদিশাৰ ভয়ত অৱস্থা নাই। গগণ ফালি চিঞৰিছে। পাছতহে গম পাইছে সেইডাল নকলি। এই ৰাতিপুৱা খন ৰীণা বাহঁতক কিহে পালে। কেতিয়াবা মাজে সময়ে সিহঁতে এনেকুৱা ধেমালি কৰে বাৰু। কিন্তু এই ৰাতিপুৱাখন হৈছে কি? সন্ধ্যাই ক'লে,

"আচৰিত, ৰাতিপুৱাই এইচব কৰিবলে কি হ'ল নো ৰীণা বাহঁতৰ।"

বিদিশাই খঙেৰেই ভোৰভোৰাই কৈ উঠিল,

"হ'ব আৰু কি টো? আজি এক এপ্ৰিল নহয় জানো? এই মখাই এপ্ৰিল ফুল বনাবলৈ মোক হে পাইছে।"

তেতিয়াহে মনত পৰিল সন্ধ্যাৰ অহ আজি এক এপ্ৰিল। হাঁহি উঠিল তাইৰো। এই ৰীণা বাহঁতো যে, বেচেৰী বিদিশা বাজনীক কম খন জ্বলাই নে?

"একো নহয় দিয়া বা, ধেমালিতে হে কৰিছে।"

সন্ধ্যাই বুজালেও মুখেৰে বকি বকি ওলাই গ'ল বিদিশা। সন্ধ্যাও ওলাবলৈ লৈছিল। ময়ূঁৰক তাই কি ক'ব বাৰু? সি যে ল'ৰাটো....।

ময়ূঁৰৰ কথাটো ভাবোতেই মনত পৰিল সন্ধ্যাৰ। আজি এক এপ্ৰিল। তাৰ মানে? তাৰ মানে আৰু কি? এই ধুৰন্ধৰ অভিমন্যুয়ে ৰাতিপুৱাই বেঙেনাটো দি গ'ল তাইক। কথাটো ভবাৰ লগে লগেই খংটোৱে চুলিৰ আগ চুলে সন্ধ্যাৰ। তাক ফোন কৰিবলৈকে লৈছিল। কিন্তু তাৰ আগতে ময়ূঁৰলৈ ফোন কৰাটো উচিত হ'ব। যদি সন্ধ্যা নৱৈ শতাংশ খাটাঙেই তথাপি এবাৰ নিশ্চিত হৈ লওঁক। ময়ূঁৰলৈ ফোন লগালে তাই,

"কোৱা সন্ধ্যা।"

"ময়ূঁৰ, মোক অভিয়ে ক'লে...."

সন্ধ্যাই কৈ শেষ নহ'লেই। ময়ূঁৰে নিজেই ক'লে,

"অহ, সি ক'লে নেকি তোমাক? ভালে হ'ল দিয়া। বাকী কথাখিনি ক্লাছতে পাতিম।"

বুকুখন চিৰিংকৈ উঠিল সন্ধ্যাৰ। তাৰমানে? কথাটো সঁচা? তেও তাই আকৌ ক'লে,

"কিন্তু ময়ূঁৰ, মইতো এইবোৰ...."

এইবাৰো ময়ূঁৰে তাই শেষ নকৰোঁতেই ক'লে,

"একো চিন্তা নকৰিবা। চব ভাল হ'ব। এতিয়া ক্লাছলৈ আহা কথা পাতিম।"

ফোনটো কাটি দিলে সি। এইবাৰ খং উঠিল সন্ধ্যাৰ। ময়ূঁৰে ভাবিছে কি মানে? কথা নাই বতৰা নাই প্ৰেমৰ প্ৰস্তাৱ, আৰু কথাখিনি পাতিবলৈ লওঁতে এনেকুৱা কৰিছে যেন সৰু কথা এটা হে। এটা কথাত নিশ্চিত হ'ল সন্ধ্যা যে অভিয়ে তাইক এপ্ৰিল ফুল বনোৱা নাই। কিন্তু এই ময়ূঁৰ? কি ভাবি সি এইবোৰ কৰিছে? গোটেই হোষ্টেলৰ পৰা ক্লাছলৈকে সকলোৱে তাইক অভিমন্যুৰ লগত জোকায়। তাৰ পিছতো? আৰু অভিমন্যুতো ময়ূঁৰৰ বহুত ভাল বন্ধু। সি অকল অভিমন্যুৰ লগতেই যি হাঁহি মাতি কথা পাতে। তেন্তে এইবোৰ কি? সঁচাই, ইয়াত আহি হে সন্ধ্যাই দেখিছে আৰু শিকিছে। মুখৰ আঁৰত বহু মুখ লুকাই থাকে মানুহৰ। কথাবোৰ ভাবি থাকোঁতেই প্ৰিয়া আহি পোৱাত ব্ৰেক ফাষ্টৰ বাবে ডাইনিং হল পালেগৈ সন্ধ্যা। ক'ম বুলি ভাবিও প্ৰিয়াক ময়ূঁৰৰ কথাটো নক'লে সন্ধ্যাই। আগতে তাৰ লগত কথা পাতি লোৱা যাওঁক। তাৰ পাছত ক'ব তাই বেলেগক। ব্ৰেক ফাষ্ট কৰি থাকোঁতেই থাল এখন আনি কংকনা সিহঁতৰ ওচৰতে ৰ'লহি। থালখনৰ ওপৰত আন এখনেৰে ঢাকি থোৱা আছে। কংকনাই সন্ধ্যাহঁতক ক'লে,

"সন্ধ্যা, মোৰ ব্ৰেকফাষ্টটো ইয়াতে থৈ গৈছোঁ। মই ৰুমৰ পৰা পানী বটলটো লৈ আনোঁ। তোমালোকে চাবা চোন হা। এই মেকুৰী পোৱালি জনীয়ে মুখ দিব নহ'লে।"

সন্ধ্যাই "হ'ব দিয়া" বুলি কোৱাত তাই ৰুমলৈ গ'ল। হোষ্টেলৰ ডাইনিং ৰুমত সৰু মেকুৰী পোৱালি এজনী ঘূৰি ফুৰে। ছোৱালীবোৰে মৰমতে দিয়া ৰুটিৰ টুকুৰা, মাছৰ কাঁইট আদি খাই থাকে। কিন্তু মাজতে কেতিয়াবা কোনো নথকা থাল দেখিলে চিধা মুখ লগাই দিয়ে তাই। সিদিনা ৰিমলিয়ে পানী আনিবলৈ যাওঁতেই তাইৰ ভাতৰ পাতত মুখ দিছিল। ৰিমলিয়ে গালি পাৰি পাৰি আকৌ বেলেগ এখন আনিছিল। সেই কাৰণেই আজি কালি কোনোবা উঠি গ'লে এইদৰে ৰখীয়া কৰি থৈ যাব লাগে। এক মিনিট দুই মিনিটকৈ বহু সময়েই পাৰ হ'ল। কংকনা অহাৰ কোনো লক্ষণেই নাই। ব্ৰেক ফাষ্ট কৰি কৰি ছোৱালীবোৰ ওলাই যোৱাত ডাইনিং ৰুমো প্ৰায় খালি হৈছিলগৈ। ৰৈ আছিল সন্ধ্যা আৰু প্ৰিয়াহে। এসময়ত অতিষ্ঠ হৈ প্ৰিয়াই ক'লে,

"এইৰ কি হ'ল মানে? পানীৰ বটলটো আনোঁতে নো ইমান সময় লাগে নে?"

Kaushik

সন্ধ্যাৰ ঘড়ীটো চালে, ক্লাছ আৰম্ভ হ'বলৈ বেছি সময় নাই। এইজনী ক'ত সোমালগৈ বাৰু? এৰি থৈ আহিবও বেয়া লাগিছে। মেকুৰীয়ে মুখ দিলে বেচেৰী সুদা পেটেৰে ক্লাছ যাব লাগিব। শেষত সন্ধ্যাই ফোন লগালে।

"কি হ'ল কংকনা? আহাই নাই যে?"

"অহ, তোমালোক আছা ন? হেৰি, এই থালখন দাঙি চোৱা না এবাৰ।"

কি নো কৈছে এই? তথাপি সন্ধ্যাই ওপৰৰ ঢাকি থোৱা থালখন দাঙোতেহে দেখিল তলৰ থালখন গোটেই খালি। মাত্র কাগজ এটুকুৰাত লিখা আছিল,

"April fool"

"কংকনা ঔ, আহ আজি হোষ্টেললৈ তই।"

খঙত তুমিৰ পৰা গৈ তই পাইছিলগৈ সন্ধ্যা। কংকনাই হাঁহি হাঁহি ফোনটো কাটিলে। প্রিয়াৰো হাঁহি উঠিল। ভাল এপ্রিল ফুল বনিলে দুইজনী। ক্লাছলৈ বুলি ওলাল সিহঁত। বাটত সন্ধ্যাই ভাবি গৈছিল, অভিমন্যুয়ে তাইক এপ্রিল ফুল দিয়া হ'লেও তাই ভাল পালে হেঁতেন। কিন্তু ময়ূঁৰৰ কথাই যে কথাটো সঁচা বুলিয়ে প্রমাণ কৰিছে।

Kaushik

ক্লাছ পালেগৈ সন্ধ্যা আৰু প্রিয়া। সিহঁতৰ অলপ পলমেই হৈছিল। সোমাইয়েই সমুখৰ শাৰীটোৰ শেষৰ বেঞ্চত বহি থকা ময়ূঁৰ চকুত পৰিছিল সন্ধ্যাৰ। সি অলপ হঁহাৰ দৰে কৰিলে। মুখখন গহীন কৰি সন্ধ্যা নিজৰ ঠাইত বহিল। এটাৰ পাছত এটাকৈ ক্লাছ কৰি গ'ল। তেজপুৰ বিশ্ববিদ্যালয়ৰ এইটো কথা ভাল, লাগিলে যিয়েই হৈ যাওঁক ক্লাছৰ ক্ষেত্রত কেতিয়াও কম্প্রমাইজ নকৰে। আনকি প্রাক্তন ৰাষ্ট্রপতি কালামৰ মৃত্যুৰ দিনাও এটা ক্লাছ কৰাইহে শোক সভা পাতিছিল। অৱশ্যে এইটো লৈয়ে বহুতৰ অভিযোগো নথকা নহয়। হোষ্টেলৰ আড্ডাবোৰত ফ্রাষ্ট্রেচনৰ চিকাৰ হৈ বহুতেই কৈ পেলাই,

"এইখন ইউনিভাৰ্চিটী নে বোৰ্ডিং স্কুল অ', অকল ক্লাছ আৰু এক্সাম, এক্সাম আৰু ক্লাছ।"

এই সমূহ গুণৰ বাবেই তেজপুৰ ইউনিভাৰ্চিটী বাকীবোৰতকৈ বেলেগ। সদায়ৰ দৰেই আজিও চাৰিটা ক্লাছৰ পাছত সন্ধ্যাহঁত আহিবলৈ ওলাল। আজি ছেকেণ্ড হাফত আৰু ক্লাছ নাই। ময়ূঁৰে ৰ'বলৈ কোৱাৰ বাবে সন্ধ্যা ডিপাৰ্টমেণ্টৰ বাহিৰতে ৰ'ল। শুক্রবাৰৰ বাবে বহুতে বাহিৰেই বাছ ষ্টেণ্ডলৈ পোনাইছে। হয়তো ঘৰ, নহ'লে তেজপুৰৰ বিভিন্ন

ঠাইত সপ্তাহটোৰ ভাগৰ বোৰ জোকাৰি পেলাব। সন্ধ্যা ডিপাৰ্টমেন্টৰ সমুখৰ ষ্টেপটোতে বহি আছিল।

"সন্ধ্যা" পিছফালৰ পৰা ময়ূঁৰে মাতিলে।

"অঁ ময়ূঁৰ।" সিও আহি তাইৰ কাষতে বহিল। সন্ধ্যায়ে আৰম্ভ কৰিলে,

"চোৱা ময়ূঁৰ, তুমি প্লিজ মোক বেয়া নাপাবা। কিন্তু মই নোৱাৰিম।"

সন্ধ্যাই ভাবি থৈছিল, যে তাই একো পাতনি নেমেলাকৈয়ে পোনপটীয়াকৈ ক'ব। ভাবিছিল ময়ূঁৰে হয়তো কথাটো শুনি মনে মনে ৰ'ব নাইবা হ'ব বুলি আঁতৰি যাব। কাৰণ তাৰ স্বভাৱটো তেনেকুৱাই। কিন্তু সন্ধ্যাক আচৰিত কৰি ময়ূঁৰে ক'লে,

"কিয় নোৱাৰিবা, পাৰিবা অ' তুমি।"

সন্ধ্যাৰ লাহে লাহে খং উঠিবলৈ লৈছিল। এফালে সি হঠাৎ এই ধৰণৰ কথা কৈছে আৰু তাই অস্বীকাৰ কৰাৰ পাছতো এই ধৰণে জোৰ কৰিছে।

"প্লিজ তুমি জোৰ নকৰিবা। এইবোৰ কথা এনেকৈ দুই এদিনত হোৱা ল'ৰা ধেমালি নহয়।" সন্ধ্যাৰ মাতটো গহীন হৈয়ে ওলাল। কিন্তু ময়ূঁৰেও আগৰ দৰেই ক'লে,

"বুজিবলৈ চেষ্টা কৰা সন্ধ্যা। মই বেলেগ বহুতকে সুধিছিলোঁ। কাকো নাপাইহে তোমাক কৈছোঁ।"

এইবাৰ আৰু খং উঠিল সন্ধ্যাৰ। কি কৈছে মানে ই? বেলেগ ছোৱালীক নাপাই তাইক প্ৰেমৰ প্ৰস্তাৱ দিছে? এই ময়ূঁৰ ল'ৰাটো ইমান সস্তীয়া হ'ব পাৰে নে?

"ছিহ ময়ূঁৰ, তোমাক এনেকুৱা বুলি ভবা নাছিলোঁ মই।"

কথাষাৰ কৈ আঁতৰি গ'ল সন্ধ্যা। থৰ হৈ ৰৈছিল ময়ূঁৰে। হঠাৎ নো সি এনে কি ক'লে যে সন্ধ্যাৰ এনেকৈ খং উঠিল। পিছফালৰ পৰা মাত দিলে সি,

"মাত্ৰ এটা ডায়লগ আছে সন্ধ্যা। এটা ছীনতে ওলাব লাগে অকল।"

আগুৱাই গৈ থকা সন্ধ্যা ৰৈ গ'ল। ডায়লগ, ছীন? কথাবোৰ চোন কিবা আউল লগা। তাই উভতি আহিল,

"কি কৈ আছা এইবোৰ? ডাইলগ? কিহৰ?"

Kaushik

"কিয়, অভিয়ে কৈছিলেই চোন তোমাক। আমি কৰি থকা ষ্ট্ৰীট প্লে খনৰ আকৌ। কেৰেক্টাৰটো বেলেগ বা এজনীয়ে কৰি আছিল। কিন্তু তাইৰ এক্সিডেন্ট হ'ল। এতিয়া এদিনতে আমি বেলেগ কাক পাম নো কোৱা। ইফালে চবতে কোৱা হ'ল যে কাইলৈকে হ'ব।"

ময়ূঁৰৰ কথাই মূৰত আৰু পাক ঘূৰণি খোৱালে সন্ধ্যাক। হে আছে কি এইবোৰ? প্ৰেমৰ প্ৰস্তাৱ গৈ বাটৰ নাট কেনেকৈ হ'ল? সন্দেহটো ময়ূঁৰৰো হৈছিল। সেয়ে সি নিজেই সুধিলে,

"তোমাক অভিয়ে কি বুলি কৈছিল?"

কওঁ নকওঁকৈ সন্ধ্যাই ক'লে,

"কৈছিল যে তুমি মোক প্ৰপোজ কৰিছা।"

"কি----?"

ময়ূঁৰৰ চিঞৰত ডিপাৰ্টমেন্টৰ ভিতৰৰ চিকিউৰিটী জনেও ঘূৰি চাইছিল। সন্ধ্যাহঁতৰ পৰা কিছু আঁতৰত চাইকেল ষ্টেণ্ডটোত ৰৈ থকা অভিমন্যুয়ে উকি মাৰি হাঁহিছিল। সন্ধ্যাৰ বুজিবলৈ বাকী নাথাকিল যে এইবোৰ অভিমন্যুৰে কাৰচাজি। ষ্টেপৰ পৰা নামিয়েই তাই চোঁচা ল'লে অভিমন্যুলৈ। ওচৰত আৰু দুজনীমান সিহঁতৰ ক্লাছৰে ছোৱালী ৰৈ আছিল। অভিমন্যুয়ে ছোৱালী কেইজনী শুনাকৈ সন্ধ্যাক কৈ উঠিল,

"হাৰে হাৰে কি হৈছে? দেখাত হেণ্ডচাম হ'লে এইটোৱে বিপদ দেই। ছোৱালীয়ে দেখিলেই পিছে পিছে খেদে।"

সন্ধ্যাৰ যেন দুগুণ খং উঠিছিল। "তোক আজি শেষ কৰি দিম মই" বুলি পিঠিৰ বেগটোৰেই অভিমন্যুৰ পিঠিত জোৰেৰে মাৰিছিল তাই। সি লগে লগেই চাইকেলত উঠি "এপ্ৰিল ফুল বনায়া, বাৰা মজা আয়া" বুলি খৰকৈ আঁতৰি গ'ল। সন্ধ্যাই পিছফালৰ পৰা চিঞৰিলে,

"তোক যদি আজিৰ পৰা মাতো চাই ল'বি।"

ময়ূঁৰ তাইৰ ওচৰ পালেহি,

"যাব দিয়া তাক। এইটো শিক্ষা তাক হোষ্টেলত দিম মই।"

ময়ূঁৰক দোষী দোষী ভাৱেৰে সন্ধ্যাই ক'লে,

Kaushik

"ছৰী ময়ূঁৰ। মই তোমাক ভুল বুজি বহুত বেয়া বিহেভ কৰিলোঁ।"

"একো নাই সন্ধ্যা। মই বুজি পাইছোঁ। এতিয়া আচল কথাটো শুনা" বুলি ময়ূঁৰে তাৰ আচল কথাটো ক'লে।

সন্ধ্যাহঁতৰ ইংৰাজী আৰু বিদেশী ভাষা বিভাগৰ পৰা প্ৰফেচাৰ ড° বৰপাত্ৰৰ তত্বাৱধানত এখন বাটৰ নাট অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা হৈছিল। সেইবাবেই বহুদিনৰ পৰা নাটখনৰ আখৰাও কৰি আছিল। সিহঁতৰ বিভাগৰে ছিনিয়ৰ খিনিৰ লগতে ময়ূঁৰো আছে তাত। সন্ধ্যাৰ চিনাকি ৰীণা বাইও অভিনয় কৰিছে। নাটখন লিখিছে সন্ধ্যাৰ চিনাকি চন্দ্ৰালী বায়ে। নামটো হৈছে "পোহৰ বিচাৰি"। ডাইনী হত্যাৰ বিষয় বস্তু লৈ কৰিব লগা নাটখনত প্ৰথমৰ পৰাই ময়ূঁৰ জড়িত। সমস্যাটো হ'ল কালি। নাটকত অভিনয় কৰিব লগা এজনী ছোৱালী দীপালিৰ এক্সিডেন্ট হ'ল। গতিকে তাইৰ চৰিত্ৰটো কৰিবলৈ ময়ূঁৰে সন্ধ্যাক অনুৰোধ কৰিছে। কথা সেইখিনিয়েই। কিন্তু এই বদমাছ অভিমন্যুয়ে গোটেই থন খেলি মেলি কৰি দিলে। সন্ধ্যাই খুব বেছি অভিনয় কৰি পোৱা নাই। আগতে স্কুলত দুই এটা সৰু চৰিত্ৰ কৰিছিল যদিও বেছিকৈ তাই বিহু নাচৰ লগত হে জড়িত। তাতোকৈ ডাঙৰ কথাটো হ'ল বাটৰ নাটখন কাইলৈকে হ'ব। গতিকে এদিনত প্ৰেকটিছ কৰি কিদৰে সম্ভৱ। সন্ধ্যাই সেইবাবে ময়ূঁৰক ক'লে,

"কিন্তু ময়ূঁৰ, হাতত মাত্ৰ এদিন আছে। এই এদিনৰ ভিতৰত কেনেকৈ কৰোঁ কোৱা চোন। তাতে মই ইমান অভিনয় কৰিও পোৱা নাই।"

উত্তৰটো ময়ূঁৰৰ সলনি পিছফালৰ পৰা আহি থকা চন্দ্ৰালীয়েই দিলে,

"আমি আছোঁ নহয়। ধুনীয়াকৈ শিকাই দিম তুমি পাৰিবা।"

চন্দ্ৰালীৰ লগে লগে ৰীণাও আহি সেইখিনি পাইছিলহি,

"পাৰিবি তই সন্ধ্যা। আৰু মাত্ৰ এটা নে দুটা হে ডায়লগ।"

সকলোৰে নেৰা নেপেৰা অনুৰোধত অৱশেষত সন্ধ্যা মান্তি হ'ল। আবেলি চাৰি বজাৰ পৰা প্ৰেকটিছ। তেতিয়া লগ হোৱাৰ সিদ্ধান্ত লৈ সকলো নিজৰ নিজৰ হোষ্টেল পালেগৈ।

Kaushik

ভাত খাই আহি ৰুমত বিচনাতে বাগৰি আছিল অভিমন্যু। দৰ্জাখন ধমহকৈ মাৰি সোমাই আহিল ময়ূঁৰ। একে জাঁপে উঠি বহিছিল অভিমন্যু। ময়ূঁৰে একেথিৰে চাই আছে তালৈ। অভিমন্যুয়ে গম পাইছিল, আজিৰ ঘটনাটোৰ বাবে ময়ূঁৰ সুদাই নেৰে তাক। সি সাজু হৈ আছে, ময়ূঁৰ এখোজ আগবাঢ়িলেই সি দৌৰি পলাব। কিন্তু সি ভবাৰ দৰে নহ'ল। কেই মূহুৰ্তমান অভিমন্যুৰ চকুলৈ চাই ৰুমটোৰ পৰা ওলাই গুছি গ'ল ময়ূঁৰ। অভিমন্যু আচৰিত হ'ল। তাতকৈ যদি সি তাক বকিলে হেঁতেন, মাৰিলেহেঁতেন তেতিয়াও ঠিক আছিল। কিন্তু মৌনতালৈ ভয় কৰে অভিমন্যুয়ে। সেয়া লাগিলে সন্ধ্যাৰেই হওঁক নাইবা ময়ূঁৰৰেই।

ময়ূঁৰৰ পিছে পিছে অভিমন্যুও ওলাই আহিল। ময়ূঁৰ ৰুমত সোমাইছিল বাবে সিও ৰুম পালেগৈ। ময়ূঁৰ বিচনাত বাগৰিল। অভিমন্যু কাষতে চকীখনত বহিল। ময়ূঁৰে দেখিও নমতা দেখি সি নিজেই মাতিলে,

"ঐ, মোক গালি নিদিয় নি?"

ময়ূঁৰ নিশ্চুপ। অভিমন্যুয়ে আকৌ সুধিলে,

"ঐ, মোক নামাৰ নি?"

নাই, মুখৰ একো মাত নাই ময়ূঁৰৰ। কথা মানে গুৰুতৰেই। অভিমন্যুয়ে বুজিলে। বিচনাখনত বহি লৈ ময়ূঁৰৰ মূৰত হাত ফুৰাই ক'লে সি,

"ছৰী, বেয়া নাপাবি।"

কিছু সময় কোনেও একো কোৱা নাই। অভিমন্যুৰ মাতটো এইবাৰ কঁপিল,

"এনেকৈ থকাতকৈ মাৰিয়ে দে না মোক।"

ময়ূঁৰৰ মুখখন গহীন হৈয়ে আছিল। তেনেকৈয়ে ক'লে সি,

"টোপনি ধৰিছে অভি। শুবলৈ দেচোন।"

"নোৱাৰ শুব, মোক গালি পাৰি ল আগতে।"

অভিমন্যুৰ কথাত হাঁহি উঠিল ময়ূঁৰৰো। ঘপকৈ উঠি বহি লৈ গাৰুটোৰে কোবাবলৈ ল'লে অভিমন্যুক। অভিমন্যুয়েও নিজক বচাবলৈ গাৰুটো টানিবলৈ লাগিল। আৰু ফলাফল স্বৰূপে গোটেই ৰুমটো তুলাময় হৈছিল। তুলাবোৰৰ লগতে উৰিছিল ময়ূঁৰৰ

অভিমানবোৰ। মাত্ৰ এই ল'ৰাটোৰ ওচৰতে বাৰে বাৰে শিশু হ'বলৈও দ্বিধাবোধ নকৰে অভিমন্যুয়ে।

আবেলি চাৰি বজাত সন্ধ্যা ৰীণাৰ লগতে আহিল প্ৰেকটিছলৈ। হিউমেনিটিজৰ নতুন যিটো বিল্ডিং বনাই আছে তাৰেই প্ৰথম মহলাত এটা অডিটৰিয়াম আছে। ঠিক চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনৰ দৰেই। এই আটক ধুনীয়া বিল্ডিংটোলৈ সন্ধ্যা এবাৰ অভিমন্যুৰ লগতে আহিছিল চাবলৈ। এডুকেশ্যন ডিপাৰ্টমেণ্টটো ইয়াত থকাৰ বাবে অভিহঁতৰ বি এডৰ ক্লাছবোৰ ইয়াত হয়। এই গোটেইটো এটা প্ৰকাণ্ড বিল্ডিং। এটা বৃহৎ অট্টালিকা। সন্ধ্যাহঁত পোনে পোনে অডিটৰিয়ামটো পালেগৈ। ভালকৈ বনাই হোৱা নাই এতিয়াও। মাত্ৰ প্লাষ্টাৰটোহে কৰি থৈছে অকল। তাতে চন্দ্ৰালী, ময়ূঁৰহঁত আছিলেই। লগতে সিহঁতৰ ডিপাৰ্টমেণ্টৰে জিষ্ণু দা, প্ৰদীপ দা, দীক্ষা বা, প্লাবনা বা, মৈত্ৰেয়ী বা, ৰঞ্জিত দা সকলো আছিল। চন্দ্ৰালীয়ে সিহঁত গোটেইবোৰৰ লগত সন্ধ্যাক চিনাকি কৰাই দিলে। বৰ বিহুৱতী হোৱাৰ বাবে সিহঁতে সন্ধ্যাক চিনি পাইছিলেই। জিষ্ণু দাই নিজে কৈছিল,

"তুমি বৰ মৰম লগাকৈ বিহু নাচা দেই।"

লগে লগে দীক্ষা বাই গল খেকাৰি এটা মাৰি ক'লে,

"জিষ্ণু----, কন্ট্ৰোল।"

"ধেই, তহঁতে চব কথাই সেইফালে কেলে টান' বাৰু? এই ভন্টিৰ নিচিনা মোৰ।" জিষ্ণুয়ে ভেকাহি মাৰি অহা দেখি প্লাৱনা বাই ক'লে,

"কাৰণ তোৰ স্বভাৱটো জানো যে?"

লগে লগে গিৰ্জনি মাৰি হাঁহি উঠিল গোটেই জাকে। বিশাল হলটোৰ দেৱালবোৰত সিহঁতৰ হাঁহিবোৰে প্ৰতিধ্বনি তুলিছিল। এনেতে বৰপাত্ৰ ছাৰ আহি পোৱাত প্ৰেকটিছ আৰম্ভ হ'ল। চন্দ্ৰালী আৰু ৰীণাই সন্ধ্যাক গোটেই নাটখনৰ কাহিনীটো বুজাই দিলে। চহৰত ডাঙৰ হোৱা এজনী ছোৱালী গাঁৱলৈ বিয়া হৈ আহি গাঁৱৰ লোকৰ কিছুমান অন্ধবিশ্বাসৰ বিৰোধিতা কৰে। তাৰ ফল স্বৰূপে শাহুৱেক আৰু এচাম মানুহে তাইক ডাইনী বুলি হত্যা কৰাৰ চেষ্টা চলায়। কিন্তু গাঁৱৰে কেইগৰাকী মান সাহসী যুৱতী আৰু বোৱাৰীজনীৰ স্বামীৰ চেষ্টাত তাই ৰক্ষা পৰে। আধা ঘণ্টাৰ নাট খনৰ মূল

Kaushik

কাহিনী এইটোৱেই। সন্ধ্যাৰ চৰিত্ৰটো হৈছে এজনী গাঁৱৰ মহিলা, যিয়ে শাহুৱেকক বোৱাৰী জনীৰ বিৰুদ্ধে উচটাই। প্ৰথম বাৰ সংলাপটো কওঁতে হাঁহি উঠিল সন্ধ্যাৰ। শেষত বাৰে বাৰে কৈ থকাৰ পাছত যেনিবা সুৰ আৰু ভংগীমাৰে তাই ক'ব পাৰিলে গৈ,

"চুটি চুটি চুলি, মুখৰে ফৰ ফৰ ইংৰাজী, এনে মেমনি ওলাইছে। বুইছে খুৰীদৌ, এনেকুৱা বোৱাৰীক গাত গৰম পানী ঢালি নিমখ ছটিয়াই দিব লাগে।"

এই হেন সংলাপ ক'বলৈ কাৰ হাঁহি নুঠিব বাৰু। উপায় নাই। বহুবাৰ প্ৰেকটিছৰ অন্তত সন্ধ্যাৰ যেনিবা হ'ল।

পিছদিনা ৰাতিপুৱা পাঁচটাতেই প্ৰেকটিছ হৈছিল আৰু আবেলিলৈ নাটক। মেইন গেটৰ ওচৰৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিংটোৰ সমুখৰ বহল ঠাইখিনিতেই নাটখন কৰা হ'ব। সন্ধ্যাহঁতে সকলোৱে একেই সাজ পিন্ধিছে। গাত সম্পূৰ্ণ ক'লা চুৰিদাৰ আৰু কঁকালত ৰঙা চুৰ্ণী। ল'ৰাবোৰেও ক'লা কুৰ্তা আৰু নীলা পেন্ট লগতে কঁকালত একেই ৰঙা চুৰ্ণী। সন্ধ্যাহঁত গৈ পোৱাৰ আগৰে পৰা ঠাইখিনিত পূৰা মানুহৰ ভিৰ। সন্ধ্যাই আঁতৰৰ পৰা দেখিছিল, অনুৰণ আৰু অভিমন্যুহঁতো আহিছে। চন্দ্ৰালী বাৰ ঘোষণাৰ পাছতেই ভূপেন হাজৰিকা দেৱৰ "আহ আহ ওলাই আহ" গীতটিৰে নাটখনিৰ শুভাৰম্ভ কৰা হৈছিল। তাৰ পাছতেই হঠাৎ মানুহৰ মাজৰ পৰা "মোক বচাওঁক বচাওঁক" বুলি কান্দি কান্দি ওলাই আহিছিল প্লাৱনা বা। লগে লগেই ৰঞ্জন দা, প্ৰদীপ দা হঁতে ডাইনী ডাইনী বুলি তাইক ঘেৰি ধৰিছিল। নাট খনৰ সূত্ৰধাৰ কন্দৰ্প দাই কৈ গৈছিল "গোটেই ঘটনাটো এবাৰ আগৰ পৰা চাওঁ আহক।"

লগে লগেই পাৰ হৈছিল এটাৰ পাছত এটাকৈ দৃশ্য। ময়ূঁৰৰ গাওঁবুঢ়াৰ অভিনয়ত হাত চাপৰিৰ জোৱাৰ উঠিছিল দৰ্শকৰ মাজত। সন্ধ্যাৰ সংলাপেও হঁহুৱাইছিল সকলোকে। মাজতে এই বদমাছ অভিমন্যুৰ "বঢ়িয়া মাইনা পাৰিছা" বুলি মৰা চিঞৰটোত ভাগ্যেহে হাঁহিটো নোলোৱাকৈ আছিল তাইৰ। মূখ্য চৰিত্ৰৰ প্লাৱনা বাৰ হৃদস্পৰ্শী অভিনয়ে চকু সেমেকাই তুলিছিল বহুতৰ। চিঞৰি চিঞৰি প্লাৱনা বাই কোৱা সেই বিশেষ সংলাপ ফাকিয়ে চুই গৈছিল প্ৰতিজনক,

"স্বামীয়ে বিচাৰে সীতা,

Kaushik

প্ৰেমিকক লাগে ৰাধা,

দুৰ্গা কালী নালাগে কাকো

অন্যায়ত দিব যে বাধা"

সঁচাই, আজিৰ এই একবিংশ শতিকাটো কম অত্যাচাৰ সহ্য কৰি আছে নে নাৰীয়ে? সন্ধ্যা নিজেই জানো তাৰ এক উদাহৰণ নহয়? তাই মন কৰিছিল সেই সংলাপ শাৰীত ৰীণা বা ৰো চকুলো বৈ আহিছিল।

এইদৰেই প্ৰায় আধা ঘন্টাৰ মূৰত শেষ হ'ল নাটখন। সন্ধ্যাহঁতে ভবাতকৈও বহু বেছি দৰ্শক গোট খাইছিলহি। সকলো বিভাগৰ প্ৰৱক্তাৰ লগতে মুৰব্বীসকলো আহিছিল। সকলোৱে সন্ধ্যাহঁতক প্ৰশংসা কৰি কৰি ঘৰাঘৰি উভতিছিল। নাটৰ শেষত গ্ৰুপটোৰ সকলোৱে সন্ধ্যাক বিশেষ ভাৱে ধন্যবাদ জনালে। তাই শেষ সময়ত নহা হ'লে এই নাটখনেই হয়তো নহ'লে হয়। সন্ধ্যাৰ অভিনয় চাই সিদ্ধাৰ্থ দাইও ফোন কৰি কৈছিল,

"মোৰ নাটকত তইও কিবা এটা কেৰেক্টাৰ কৰিব লাগিব।"

যি কি নহওঁক সন্ধ্যাৰ স্মৃতিৰ টোপোলাটোত "পোহৰ বিচাৰি" নাটখন নতুনকৈ সোণালী ৰঙেৰে সোমাইছিল।

Kaushik

এইবোৰৰ কেইদিন মানৰ পাছতেই আৰম্ভ হৈছিল মিড টাৰ্ম। সেই কেইদিন আকৌ সেই আগৰ দৰেই মৰিশালিৰ দৰে পৰিৱেশ। পিছে সন্ধ্যাৰ এইবাৰ মিড টাৰ্মত মন বহা নাছিল। কেনেকৈ নো বহে? গোটেই চৌহদটোত য'তে ত'তে নাহৰ, যেনি তেনিয়ে কুলিৰ কুউ কুউ মাত, মাজৰাতি আকৌ কেতেকী জনীৰ হিয়া ভঙা চিঞৰটো "মই কেতেকী"। পাটকাইৰ আগৰ পৰা কাঞ্চনজংঘালৈকে গোটেই শাৰী শাৰী নাহৰ কেইজোপাৰ তলটো নাহৰৰ পাহিৰে বগা দলিচাৰ দৰে হৈ থাকে। কমিউনিটী হলৰ কাষৰ দেৱদাৰু জোপাত কপৌ ফুলো লাগিছে দুই এপাহ। এই সকলোবোৰে সন্ধ্যাক মনত পেলাই আছিল গাঁৱৰ সেই মুকলি বিহুখনলৈ। কেতিয়া যে যাব পাৰিব নহয়। পৰীক্ষা দি থাকিলেও হঠাৎ কুলিৰ মাতটো শুনি মিচিকিয়া হাঁহি এবাৰ খিৰিকীৰে বাহিৰলৈ চাই সন্ধ্যাই। চোতালত হেঁপাহৰ বহাগ। এই কুউ কুউ মাতটোৱে গাটো কঁপাই তোলে চোন। সঁচাই অসমীয়াৰ তেজে তেজে দৌৰি আছে বহাগে।

অৱশেষত কোনোমতে পৰীক্ষাটো শেষ কৰিয়েই সন্ধ্যা ঘৰলৈ ওলাল। এক সপ্তাহ বিহুৰ বন্ধ। অভিমন্যু হেনো আজি নাযায়। তাৰ পিছ বেলাও পৰীক্ষা আছে গতিকে কাইলৈ হে ৰাতিপুৱা যাব। বেচেৰাহঁতৰ এই বি এ বি এড প্ৰগ্ৰামটোত সমস্যাৰে অন্ত নপৰে। এদিনত দুখন পেপাৰৰ পৰীক্ষা কেনেকৈ দিয়ে সিহঁতে হে জানে।

হোষ্টেলৰ পৰা কাপোৰৰ বেগ কেইটা লৈ সকলোকে মাত লগাই Essentialৰ বাছ ষ্টেণ্ডটোতে ৰৈছিল গৈ সন্ধ্যা। আহো আহো হৈছে বাছখন। বহুতো লোক ৰৈ আছে। পিছে সকলোৰে আশাত চেঁচা পানী পেলাই বাছখন নৰখালেই। ৰখাইনো কেনেকৈ? ঘৰলৈ যোৱা মানুহেৰে বাছ ভৰ্তি হৈ আছে। আৰু উঠিবলৈ ঠাইয়ে নাই। সকলোৱে বিমৰ্ষ মুখ লৈয়ে গেটৰ বাহিৰৰ টেম্পু কেইখনলৈ গৈছিল। সন্ধ্যাও আগবাঢ়িছিল। দুটাকৈ গধূৰ বেগ লৈ বেচেৰীৰ গৰমত অৱস্থা নাই। সিদ্ধাৰ্থৰ পৰীক্ষা ডিউটি থকাৰ বাবে তাকো ক'ব নোৱাৰে থৈ আহ বুলি। খোজ কাঢ়ি গৈ থাকোঁতেই পিছফালৰ পৰা কোনোবাই মাতিলে,

"ঘৰলৈ যোৱাই নি?"

অনুৰণ আহি আছিল চাইকেলত হাফ পেডেল মাৰি। সন্ধ্যাই মূৰ দুপিয়ালে। সি তাইৰ বেগ দুটা উঠাই ল'লে চাইকেলতে। তাৰ পাছত চাইকেল ঠেলি ঠেলি সন্ধ্যাৰ লগতে খোজ কাঢ়ি আগবাঢ়িল।

"বাছ নাপালা মানে?" অনুৰণে সুধিলে।

"পাইছিলোঁ, মানুহ বেছি কাৰণে নৰখালে।" সন্ধ্যাই ক'লে।

দুই এটা কথা পাতি পাটকাইৰ সমুখ পালেগৈ সিহঁত। তাতে ৰৈ অনুৰণে "অলপ ৰোৱা মই আহি আছোঁ।" বুলি কৈ ভিতৰলৈ সোমাই গ'ল। কিছু সময়ৰ পাছত দেৱা দাৰ বাইকখন লৈ ওলাই আহিল সি। হেলমেট এটা আগবঢ়াই দিলে সন্ধ্যালৈ। ইয়াত আকৌ উঠি যোৱা জনৰো হেলমেট লাগে। সন্ধ্যা কিছু অস্বস্তিত পৰিছিল,

"মই টেম্পুতে গ'লোহেঁতেন।"

"এইটো পিন্ধা আৰু বাইকত বহা।" অনুৰণৰ মাতত কৰ্তৃত্ব। নিশ্চুপ হৈ সন্ধ্যা বাইকত বহিল। আগবাঢ়িল সিহঁত বাহিৰৰ ফালে। ইউনিভাৰ্চিটী গেটখন সাৰিয়ে সন্ধ্যাই হেলমেটটো খুলিলে। এই গৰমত যে নোৱাৰি আৰু। যাযাবৰী বতাহবোৰে সন্ধ্যাৰ চুলি কোঁচাত কোবাইছিল। মাজে মাজে চুলিখিনি ঠেলি আছিল তাই পিছফালে। ৰাস্তাটোৰ

Kaushik

মাজে মাজে কিছু ওখোৰা মুখোৰা আছিল। সন্ধ্যাই এবাৰ অনুৰণৰ বাহুত ধৰিব খুজিও ৰৈ গ'ল। কি বা ভাবে সি? সেই সংকোচেই ৰোৱাই দিলে তাইক। কিয় এনেকুৱা হয়নো অনুৰণলৈ। অভিমন্যুৰ লগত আহোঁতে চোন তাই গবা মাৰি ধৰি লয় কঁকালটোতে। কিন্তু অনুৰণৰ বাহুটোতো চুব পৰা নাই তাই। এবাৰ চুবলৈ লৈও আঁতৰাই আনিছে হাত। সদায়ৰ দৰে অনুৰণে আজিও বুজি পাইছিল চাগে তাইৰ মনটো। সেইবাবে চলাই থকাৰ মাজতেই তাইৰ ফালে মূৰটো সামান্য ঘূৰাই ক'লে,

"ভয় কৰিব নালাগে, মই চলালে নপৰা।"

মুখ খন ৰঙা হৈ উঠিছিল সন্ধ্যাৰ। চকু, মুখ সকলোতে বিয়পিছিল হাঁহিৰ আবিৰ। তাই ক'ব নোৱাৰাকৈয়ে হাতখন ৰাখিছিল অনুৰণৰ বাহুত। বাইকখন আগবাঢ়িছিল।

মিছন চাৰিআলিত নামিয়ে ৰাস্তাটো পাৰ হৈ ৰৈ থকা ট্ৰেভেলাৰখনত উঠিল সন্ধ্যা। অনুৰণ ৰাস্তাৰ সিপাৰতে ৰ'ল। অহাৰ সময়ত "থেংক ইউ" বুলি কৈছিল তাই। সি মাত্ৰ হাঁহিছিল।

Kaushik

মানুহ বেছি উঠা নাই বাবে ট্ৰেভেলাৰ খন ৰৈ আছিল। খিৰিকীৰ কাষত বহিলেও গৰমত ঘামিছিল সন্ধ্যা। ছেহ, কেতিয়া যে যাব এইখন। দৌৰা দৌৰিতে তাই পানী বটল এটাও নানিলে। কাণত হেডফোন ডাল লগাই চিটতে মূৰটো পেলাই চকু টোপনিয়ালে সন্ধ্যাই। মানুহ আহিছে লাহে লাহে। যাব আৰু। বেলিটো তাইৰ মুখতে পৰিছিলহি। চকু মেলিব নোৱাৰা ৰ'দ। কি লাভ নো ইমান উজ্জ্বল হৈ, যদি জোনৰ দৰে কোনেও মন ভৰি চাবই নোৱাৰে।

"টক টক"। দুবাৰ শব্দ হ'ল সন্ধ্যা বহা চিটটোৰ খিৰিকীৰ আধা জপাই থোৱা গ্লাছখনত। চকু মেলি চাই দেখে অনুৰণ ৰৈ আছে।

"তুমি?" সন্ধ্যাই সুধিলে। কেডবেৰি চকলেট আৰু স্প্ৰাইটৰ বটল এটা তাইলৈ খিৰিকীৰে পাৰ কৰি আগবঢ়াই দিলে অনুৰণে। মুখেৰে কি ক'ব একো ভাবি নাপালে সন্ধ্যাই। কিয়? কিয় এনেকুৱা অনুৰণ? কেনেকৈ কোনোবাই কাৰোবাৰ মনৰ প্ৰতিটো খবৰ পাব পাৰে? কি বান্ধোন এয়া? হাত পাতি ল'লে সন্ধ্যাই চকলেটটো আৰু বটলটো। এনেতে ঘৰঘৰ শব্দৰে ষ্টাৰ্ট দিলে বাছখন।

"গৈ পাই ক'বা।" অনুৰণে ক'লে। সন্ধ্যাই মাত্ৰ মূৰ দুপিয়ালে। বাছ চলিবলৈ লৈছিল। অনুৰণে হাতখন জোকাৰি শান্ত মাতটোৰে কৈছিল, "বাই"। সন্ধ্যাইও জোকাৰিছিল হাতখন। মুখত মিচিকিয়া হাঁহি এটা আপোনা আপুনি লাগি ৰৈছিল। চকু যুৰি সজল হৈ পৰিছিল। বাছখন আগবাঢ়িছিল। অনুৰণক তাতে এৰি সন্ধ্যা আগুৱাইছিল। সি দিয়া চকলেট আৰু বটলটো বুকুত সাৱটি ধৰিছিল সন্ধ্যাই। তাইৰ কাণত হেডফোনত বাজি আছিল "ৰ'দ" চিনেমাখনৰ মনোৰম গীতটো,

"কিনো যাদু আজি বুকুৰ মাজত

এন্ধাৰতো বাট খোজে,

দুহাতেৰে ফালি দুখৰে নৈ

নতুনৰে ঢৌ তোলে

বাৰু আছেনে ৰৈ সিপাৰে

মোলে ধুনীয়া পৃথিৱী

বোলো নাযাবি এৰি জীৱন মোৰ

তই দূৰলৈ আঁতৰি....."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 67

"তিতা ধানখেৰৰ ছাঁই সমনীয়া তিতা ধানখেৰৰ ছাঁই,

অতিকৈ চেনেহৰ বহাগৰ বিহুটি হাততে মলঙি যায়।"

ঘৰৰ সমুখত ৰিক্সাৰ পৰা নামোতেই চোতালতে থৰি ফালি থকা বুল খুৰাৰ বিহু কাণত পৰিলহি সন্ধ্যাৰ। ৰিক্সাৱালা জনক পইছাটো দি গেটখন খুলি বুল খুৰাক কৈ কৈ সোমাই আহিল সন্ধ্যা,

"কিয় অ' বুল খুৰা? কিয় নো মলঙি যাব বিহুটো?"

খুৰাকে ঘূৰি চাই চিঞৰ মৰাৰ দৰেই ক'লে,

"হাৰে, ৰুণজুন দেখোন। পাই গ'ল হি আমাৰ নাচনী। এতিয়াহে বিহু বিহু লাগিব দেই। দে দে বেগ কেইটা মোলে দে।"

তাইৰ হাতৰ পৰা বেগ দুটা ল'লে খুৰাকে। এনেকুৱাই সন্ধ্যাহঁতৰ ঘৰখন। তাই লাগিলে দুদিনৰ মূৰতে আহক নাইবা দুমাহৰ মূৰতে আহক ঘৰৰ মানুহ খিনিৰ তাইলৈ মৰম আৰু আদৰ কেতিয়াও কমি নাযায়। ভিতৰলৈ গৈ থাকোঁতেই তাই খুৰাকক সুধিলে,

"ইমান দুখ লগা বিহু গাই আছে দেখোন।"

"দুখ নালাগি নো কি হ'ব? ইলেকচনৰ কাৰণে গোটেই বিহুটো এইবাৰ চেঁচা পৰিল। চবৰে বিহুখন পতাতকৈ সৌ নেতাহঁতৰ পিছে পিছে দৌৰি বাইকৰ তেল উলিওৱাৰ ধান্দা বুইছ। শেষ হ'ল আৰু গাওঁখন।"

খুৰাকৰ কথাত হে সন্ধ্যাৰ মনত পৰিল গাওঁত সোমোৱাৰে পৰা মানুহৰ পদূলিয়ে পদূলিয়ে তাই দেখিছে গেৰুৱা নিচান বোৰ। মাজতে গাড়ী এখনো পাৰ হৈ গৈছিল। মাইকত চিঞৰি গৈছিল,

"জাতি মাটি ভেঁটিৰ স্বাৰ্থত অমুক চিনত ভোট দিয়ক" ইত্যাদি। তাৰ মাজে মাজে আকৌ সেই বিখ্যাত গানটো, "সকলোৰে আনন্দ...."। ইলেকচন আগতেও হয়, কিন্তু এইবাৰ যেন সকলো ফালেই বেছিয়ে উছাহ। বাৰু হওঁক, ৰাইজে আশা কৰা মতেই চৰকাৰ এখন পালেই হ'ল আৰু।

সন্ধ্যা পোৱাৰ লগে লগেই ঘৰৰ মানুহবোৰ ব্যস্ত হৈয়ে পৰিল। সৰু খুৰীয়েকে তাইলৈ বনাই থোৱা নাৰিকলৰ লাৰু কেইটা দেখুৱালেহি, আইতাকে তিয়াই থোৱা বৰা চাউল কেইটা দেখুৱাই আজৰি হৈ ঢেঁকীটো দিবলৈ কাণ ছোৱাই থ'লে, ডাঙৰ খুৰাকে আকৌ গাঁৱৰ বিহুৰ কাৰ্যসূচীখন দিলেহি, খুৰাকৰ জীয়েক চুমনে নতুনকৈ লোৱা মুগাৰ কাপোৰ যোৰ দেখুৱাছে ; এইবাৰ হেনো তাই মুকলি বিহুত সেই যোৰেই পিন্ধিব। ককাকে আকৌ সন্ধ্যাৰ শ্ৰেষ্ঠ বিহুৱতীৰ পুৰস্কাৰটো চাব খুজিলে। সন্ধ্যাইও ট্ৰফীটো দেখুৱালেগৈ। মূৰত হাত ফুৰাই আশীৰ্বাদ দিলে তাইক।

এইবোৰৰ মাজতে ৰুমত সোমাই অনুৰণলৈ মেচেজ এটা দিবলৈ এইবাৰ নাপাহৰিলে সন্ধ্যাই,

"Oi paluhi moi"

kaushik

সিও লগে লগেই "thik ase, rest lua" বুলি দিলে।

ঘৰৰ সকলোকে লগ পাই কথা বতৰা পাতি দুপৰীয়া ভাত খাইয়ে আইতাকৰ লগত ঢেঁকী দিবলৈ লাগিল সন্ধ্যা। ঢেঁকীৰ ঢেং ক্লুচ ঢেং ক্লুচ শব্দটোৱে ঘৰটো কঁপাই তুলিছে। এই শব্দটোও যেন বিহুৰে এক আগজাননী। সন্ধ্যাই প্ৰতিবাৰেই বিহুত আইতাক খুৰীয়েক হঁতৰ লগত ঢেঁকীত বৰা চাউল খুন্দে। বছৰেকৰ বিহুটোত যদি ঢেঁকীটোত দুই এচাব মৰা নাই, তেন্তে কিহৰ অসমীয়া জীয়ৰী হে তুমি? কথা পাতি পাতি ঢেঁকী দি থাকোঁতেই আগফালৰ পৰা আইতাকক মাতি মাতি ওচৰৰে ফুলুমাই বৰমা ওলালহি,

"অ' খুৰীদেউ, আছে নে?"

বৰমাৰ হাতত খৰাহী এটা। তাতো বৰা চাউলেই। তেওঁলোকৰ ঢেঁকী নাই, ইয়াতে দিবলৈ আহিছে চাগে। তেওঁক দেখিয়েই আইতাকে সুধিলে,

"কি অ'? তই দেখোন মেনকাহঁতৰ ঘৰতহে খুন্দিম বুলিছিলি, আকৌ এইখিনি পালিহি যে?"

ফুলুমায়ে মুখখন সাতটা মান ভাঁজ কৰি উত্তৰ দিলে,

"নক'ব আৰু, সেই পটেশ্বৰী মেনকাৰ হেনো সময়ে নাই আই। ইলেকচনৰ কিবা মিটিং আছে বোলে। পাৰ্টীৰ মানুহ আহিব। তালে গ'ল।"

সন্ধ্যাই তেতিয়াহে বুল খুৰাৰ কথাটো ভালকৈ বুজিলে। ইলেকচনৰ বতাহ ভালকৈয়ে লাগিছে মানে সকলোৰে গাত।

"আই ঐ, ৰুণজুন। কেতিয়া আহিলি আই? বৰ মৰম লগা জনী হৈ হৈ গৈ আছ।"

তাইক দেখি বৰমাকে সুধিলে। তাই হাঁহিৰে উত্তৰটো দিওঁতেই আগফালৰ পৰা পাপৰিয়ে চিঞৰিলেহি,

"ৰুণ, তোৰ হ'ল নে? আহ আকৌ।"

তাইক পাপৰিয়ে আগতেই লগ ধৰি থৈছিল, বছৰেকীয়া বিহুৰ বাবে চান্দা তুলিবলৈ যাব। সিহঁতে এই কেইদিন তুলিয়ে আছে। আজি তাই আহিছে যেতিয়া নগ'লে হ'ব নে?

"ৰুণজুন, তই যা। মইয়ে দিম ঢেঁকী" বুলি ফুলুমাই বৰমাকে ঢেঁকী দিবলৈ লাগিল। সন্ধ্যাইও সাউতকৈ কাপোৰ সাজ সলাই পাপৰিহঁতৰ লগত ওলাই গ'ল। চুবুৰীটোৰ

Kaushik

এজাক মান ডেকা গাভৰুৰ হাঁহি খিকিন্দালিত গাঁৱৰ আলিবাটটোও চঞ্চল হৈ পৰিছিল। বাটত যাওঁতেই পাপৰিয়ে সন্ধ্যাক গাঁৱৰ খবৰ বোৰ দি গ'ল,

"বুইছ ৰুণ, ৰূপা পেহীৰ ল'ৰাটোৱে ছোৱালী এজনী পলুৱাই আনিলে নহয়।"

"কি? সি দেখোন আমাৰ মইনা দাৰ লগৰ হে।" তাইও সুধিলে। চুমনে টপৰাই ক'লে,

"প্ৰেমে আৰু ক'ত এইবোৰ বয়স মানে?"

লগে লগে গোটেই কেইজনীৰ হাঁহিৰ জোৱাৰ। সন্ধ্যাই পাপৰিক চিকুট এটা মাৰি সুধিলে,

"পিছে তোৰ সেই ফালে কি খবৰ?"

সলাজ ভৰা হাঁহি এটাৰে পাপৰিয়েও "ভালেই" বুলি কৈ থ'লে। অথনিৰে পৰা একো নোকোৱা মুনমুনে এইবাৰ সন্ধ্যাক সুধিলে,

"ৰুণ বাৰ ভিনদেউৰ কি খবৰ?"

"ইচ, মোৰ সেইবোৰ হ'লে নাই দেই।" সন্ধ্যাই মুখখন গহীন কৰি ক'লে। পাপৰিয়ে লগে লগে ধৰিলে,

"কিয়? গোলাঘাটৰ ফালে নহয় জানো?"

আচৰিত হ'ল সন্ধ্যা। কেনেকৈ গম পালে ইহঁতে এইবোৰ। পিছতহে পাপৰিৰ মুখৰ পৰা গম পালে মাজতে সিদ্ধাৰ্থ আহিছিল। সিয়েই হেনো সিহঁত কেইজনীৰ আগত ক'লে। ভাগ্যে যে মাকহঁতে নুশুনিলে। সিদ্ধাৰ্থৰ ওপৰত খং উঠিল সন্ধ্যাৰ। কিয় নো এইবোৰ ক'ব লাগে।

"জান' ৰুণ, ধন দাই যে আমাৰ চাৰিআলিৰে ছোৱালী এজনী ভাল পাই তহঁতৰ তাতে পঢ়া, সিহঁতৰ ঘৰত বোলে কিবা সমস্যা। তাইক হেনো ধন দালৈ বিয়া নিদিয়ে।"

পাপৰিৰ কথাত মনত পৰিল সন্ধ্যাৰ, এবাৰ সিদ্ধাৰ্থই তাইক কৈছিল, শিখাহঁতৰ ঘৰখনে সিহঁতৰ প্ৰেম স্বীকাৰ নকৰাৰ কথা। এইবোৰ পিছে এতিয়াই ভবাৰ সময় নহয়। দেখা যাব পাছত বুলি বাদ দিলে। এইদৰেই কথা পাতি পাতি চান্দা তুলি এন্ধাৰ হোৱাত ঘৰ সোমালহি সন্ধ্যা।

Kaushik

বিহুৰ চাৰিদিন মানৰ আগত নিৰ্বাচন। গাঁৱৰ প্ৰাথমিক স্কুলখনতেই সন্ধ্যাহঁতৰ ভোটগ্ৰহণ কেন্দ্ৰ। আন বাৰতকৈ এইবাৰ সন্ধ্যাহঁতৰো উছাহ বেছি। কাৰণ প্ৰথম বাৰৰ বাবে ভোটাধিকাৰ পাইছে সিহঁতে। একেদৰেই চুমন আৰু পাপৰিৰো। ৰাতিপুৱাৰ পৰাই গাঁওখনত এক উখল মাখল পৰিৱেশ। সোণটি খুৰাহঁতে মানুহক মাতিয়ে আছে। মুঠতে ভোট দিবলৈ ৰাইজখন দলে বলে যাব লাগে। এইয়াই শৰাইঘাটৰ শেষ ৰণ। খিলঞ্জীয়াৰ চৰকাৰ এখন আনি সোপাকে বাংলাদেশীক খেদিব লাগে। দেশৰ মুৰব্বীজনেতো কৈয়ে থৈছে, তেওঁলোকৰ দল জিকিলে মে'ত ৰিজাল্টৰ পাছতে বাংলাদেশীয়ে টোপোলি বান্ধিব লাগিব। ৰাইজে আশা দেখিছে, এইবাৰ ভাল হ'ব। সকলোৰে লগত সন্ধ্যাও গৈ ভোট দিলেগৈ। প্ৰথম বাৰৰ বাবে ভোট দিয়াৰ মাদকতাও বেলেগ। ৰাজ্যৰ মুৰব্বীজন নিৰ্বাচিত কৰাত তাইও হাত উজান দিছে। সেইটো অনুভৱো সুকীয়া। এতিয়া মাত্ৰ ভোটটো অথলে নগ'লেই হ'ল। সকলোৰে দৰে তাইও আশা কৰিছে সমস্যাবোৰ শেষ হওঁক। অসম খনত শান্তি আহক। তাই মন কৰিছিল এইবাৰ সৰহ সংখ্যক মানুহেই পৰিৱৰ্তনকামী দলৰ সপক্ষতে আছিল। হ'ব, সকলো ভাল হ'ব এইবাৰ।

Kaushik

ইলেকচনৰ পাছতে বিহু পালেহিয়েই। সেই কেইদিন কামত তৎ নাই সন্ধ্যাহঁতৰ। গোটেই দিনটো ঢেঁকী শালত কোনোবা নহয় কোনোবা এজনী থাকেই। ইফালে বছৰেকৰ বিহু বুলি ঘৰৰ গোটেই কাপোৰ কানি ধুইছে মাকে। গতিকে সেইফালেও মন দিব লগা হৈছে সন্ধ্যাই। তাৰ মাজতে আবেলি আবেলি আকৌ চান্দা তুলিবলৈও যোৱা হয়। কেতিয়াবা মাও পেহীৰ ঘৰলৈ গৈ তাই মহুৰাও ফুৰাই দিয়েগৈ। ৰাতি ৰাতিটো আকৌ জুহালত খুৰীয়েক হঁতৰ লগত বিধে বিধে পিঠা বনোৱাতো লাগে। কতনো কথা ওলাই জুহালৰ গুৰিত। আগতে বিহু মেলা চাবলৈ যাঁওতে কেনেকৈ খুৰাকে জোকাইছিল কৈ কৈ মুখত সোপা দি হাঁহে খুৰীয়েকে। মাজতে আইতাকে দুই এভুমুকি মৰা দেখিলে গোটেই বোৱাৰী কেইজনীয়ে তাপ মাৰে। এনেকৈয়ে বিহু পালেহি।

গৰু বিহুৰ দিনা ৰাতিপুৱাই অভিমন্যুৰ ফোনতে সাৰ পালে সন্ধ্যাই। হাঁহি মাৰি ক'লে সি,

"মোৰ মৰমৰ গাইজনীলৈ গৰু বিহুৰ শুভেচ্ছা।"

মাথাটো গৰম হৈছিল তাইৰ। তথাপি খংটো লুকুৱাই তাৰ সুৰতেই উত্তৰ দিলে,

"মোৰ মৰমৰ দমৰাটোলৈও বহুত বহুত শুভেচ্ছা।"

দুই এষাৰ কথা পাতি উঠি গ'ল তাই। খুৰীয়েহঁতে গৰুলৈ হালধি পিচিবলৈ লাগিলেই। সোণটি খুৰাই চাট মাৰিত লাও, বেঙেনা জুৰিবলৈ লাগিল। সন্ধ্যাহঁতৰ ঘৰত দুজনীকৈ গাই আৰু পোৱালি তিনিটা। দুটা দমৰা, এজনী চেউৰী। এই চেউৰী জনীয়ে সন্ধ্যাৰ বৰ মৰমৰ। আতোল তোলকৈ হালধিখিনি ঘঁহিলে তাই চেউৰী জনীক। এজনী গাইৰ ওচৰ চাপিবলৈ তাইৰ ভয়ে লাগে। সেইজনীক ককাকে হে বলে পাৰে। গৰুক গা ধোৱাই নিজেও গা ধুই ককাক আইতাকক সেঁৱা কৰিলে গোটেই ঘৰৰ মানুহ খিনিয়ে। তাৰ পাছতে আইতাকহঁত নামঘৰলৈ ওলাই গ'ল। বিহু বুলি ৰাইজখন নামঘৰতে গোট খায়। বছৰটো কুশলে পাৰ হ'বলৈ পুথি একাধ্যা পঢ়ে। বিহুৰ দিনা দুপৰীয়া ভাত খোৱাৰ নিয়ম নাই। কিন্তু এঘৰত কোমল চাউল, সিঘৰত চিৰা, ইঘৰত লুচি ভাজি খাওঁতে খাওঁতে ভাততকৈ দুগুণ হে হয় গৈ। আবেলি আকৌ জাগ দি গৰুক পিঠাগুৰিৰে বনোৱা পিঠা এটা খোৱালেগৈ সন্ধ্যাই। লগতেই চাদৰ মেখেলাযোৰ পিন্ধি হুঁচৰিলৈ সাজু হ'ল। পাপৰিহঁতো আহি পালেহি। সন্ধ্যাহঁতে খোজ কাঢ়িব পৰা হোৱাৰে পৰা বহাগত হুঁচৰি গাই আহিছে। কিন্তু সিহঁত ডাঙৰ হোৱাৰ পাছতে পিছৰ বোৰে বৰকৈ আগ্ৰহ নেদেখুৱাত এই সৰু সৰু ল'ৰা ছোৱালীৰ হুঁচৰিটো বন্ধ হোৱাৰ দৰেই হৈছিল। বয়সীয়াল সকলে ৰাতি ৰাতিহে গাবলৈ যায়। সেইবাবে গাঁৱৰে কাকু দাদা, মন্টু দাদাহঁতে সন্ধ্যাহঁতৰ লগতো কথা পাতি গোটেই ডাঙৰ ল'ৰা ছোৱালী খিনিয়ে আকৌ হুঁচৰি আৰম্ভ কৰিলে। সিহঁতেই নতুন উঠি অহা ল'ৰা ছোৱালীখিনিক উলিয়াই আনিলে। হয়োতো ডাঙৰ খিনিয়ে বাট দেখুৱালে হে সৰু খিনিয়ে শিকিব। আমি যদি "আজিকালিৰ ল'ছালীয়ে এইবোৰ নাজানে" বুলি মূৰ পোলোকা দিওঁ হ'ব জানো? সেইবাবেই সন্ধ্যাহঁত ওলাইছিল। পিছে যোৱা বছৰৰ পৰা আকৌ নতুন নিয়ম এটা আৰম্ভ হৈছিল। সন্ধ্যাহঁতৰ লগতেই বয়সীয়াল সকলো একেলগেই ওলাল। শেষত গৈ গৈ কি ডেকা, কি বুঢ়া, কি জীয়ৰী, কি বোৱাৰী গোটেই চুবুৰীটো মিলিয়েই এটা দল হোৱাদি হ'ল। কিন্তু ভালো লাগিল। গোটেই ৰাইজখন যেতিয়া একেলগে উঠি আহে, হুঁচৰিৰ পাগো বৰ ৰস লগাকৈ উঠে। এই বছৰো সেইদৰেই সকলোৱে হুঁচৰিৰ বাবে ওলাই আহিছে। সন্ধ্যা, পাপৰি, মুনমুন, চুমনৰ লগতে গাঁৱৰে দেহা বা, লিজা বা, মৰমী বাহঁতো ওলাইছে। পাপু দাদাই ঢোলটো ওলোমাই লৈছেই। সন্ধ্যাৰ খুৰীয়েকো আহি বোৱাৰী কেইজনীৰ লগ হ'লগৈ। প্ৰথমেই নামঘৰত সেঁৱা কৰি হুঁচৰিৰ আৰম্ভ কৰি ঘৰে ঘৰে আগবাঢ়িল। নৰেন খুৰাই নিজেই নাম দিছিল,

"তেতেলী তলতে তাঁত বাতি কৰিলোঁ

Kaushik

পাহৰি এৰিলোঁ কুচি ঐ গোবিন্দাই ৰাম"

লগে লগে সকলোৱে পিছৰ খিনিও ধৰিছিল,

"কুচিৰে লগতে পগলাই কিলালে

যামে আইৰ ঘৰলৈ গুছি ঐ গোবিন্দাই ৰাম।

মাৰৰ ঘৰলৈ যাঁৱ তই পাগলী

বাটত খাপে দিয়ে ধৰিম ঐ গোবিন্দাই ৰাম।

বাটত খাপে দিয়ে ধৰ তই পগলা

তোৰে বৰে হাবিত সোমাম ঐ গোবিন্দাই ৰাম।"

কোনোবাটো ঘৰত আকৌ হৰি নামো দিলে,

"আজি গোপাল ঘৰত নাই দিনতে আন্ধাৰ ঐ,

তেলীয়া কদমৰ তলে মুৰুলী বজাই ঐ"

ক'ৰবাত আকৌ গাভৰুহঁতক বিহু নাচিবলৈ জোৰ কৰাত সন্ধ্যা আৰু চুমনহঁতে কঁকাল ভাঙি নাচিলে। পাপুহঁতে ঢোলৰ লগতে বিহু গাই গৈছে,

"ৰৈ ৰৈ ৰৈতী মইনামতী তোমালোকৰ ঘৰলৈ

ৰৈ ৰৈ ৰৈতী মইনামতী সদায় যাব পাৰোঁ মই

ৰৈ ৰৈ ৰৈতী মইনামতী যদি দিয়া মৰমৰ মাত"

গাঁৱৰ চিনাকি পদূলিত দূৰৰি গছকি এইদৰে বিহু মৰাৰ মাদকতা চহৰৰ ধাম ধুমীয়াত থকা সকলে কি বুজিব। বহাগৰ সাতোটা দিন সন্ধ্যাহঁতে বিহু মাৰিলে। শেষৰ ফাললৈ অৱশ্যে মানুহ অলপ কমিল। বিশেষকৈ বোৱাৰী খিনি নোযোৱা হ'ল। হয়ো, সদায় সদায় গধূলি ঘৰখন উদং কৰি থৈ হুঁচৰিলৈ বুলি ওলাই যোৱা সম্ভৱ নহয় এজনী বোৱাৰীৰ বাবে। কিন্তু সন্ধ্যাহঁত প্ৰতিদিনেই গ'ল। সাতবিহুৰ পাছত সিহঁতে এটাইখনে মিলি এটা খানাও খালে হুঁচৰিত উঠা টকাৰে। অৱশ্যে তাৰে কিছু টকা বিহুৰ ফাংচনলৈও থ'লে।

Kaushik

বিহুৰ সাতদিনৰ পাছতে আকৌ গাঁৱৰ চিনাকি পদূলিবোৰ এৰি সেমেকা চকুৰে আহি ইউনিভাৰ্চিটী পালেহি সন্ধ্যা। আহোঁতে চুমন, পাপৰিহঁতে দঢ়াই দঢ়াই কৈ পঠিয়াইছে গাঁৱৰ বিহু ফাংচনখনলৈ যাতে তাই নোযোৱাকৈ নাথাকে। যাব সন্ধ্যা, যেনে তেনে হ'লেও যাবই।

ৰুমত সোমায়েই আচৰিত হ'ল সন্ধ্যা। বিদিশাই বিচনাতে বহি লৈ উচুপি আছে। তাই সন্ধ্যাতকৈ আগেয়ে পালেহি। বেগ কেইটা ৱাৰ্ড্ৰবত থৈ সন্ধ্যাই তাইৰ ওচৰ চাপি সুধিলে,

"কি হ'ল বা? ঘৰৰ পৰা আহি পাইয়ে কান্দিছা যে?"

উচুপি উচুপিয়ে বিদিশাই ক'লে,

"এপ্ৰিল মাহো গ'ল। এতিয়া মাত্ৰ এমাহ আছে আৰু ইয়াত মোৰ।"

সন্ধ্যাৰো মনটো মৰি গ'ল। কেনেকৈ যে এবছৰেই পাৰ হ'ল তাইও গমকে নাপালে। যোৱা এটা বছৰে বিদিশাই তাইক কম মৰম কৰিছে নে? কেতিয়াবা যদি বায়েকৰ দৰে শাসন কৰিছে, কেতিয়াবা আকৌ বান্ধৱীৰ দৰেই কথাবোৰ বুজাইছে। কেতিয়াবা আকৌ মাকৰ দৰে তাইক নিজ হাতেৰে ভাত খোৱাই দিছে। সঁচাকৈ তেজপুৰ ইউনিভাৰ্চিটীত থাপ খোৱাত ৰুমমেটৰ ভূমিকা খুব গুৰুত্বপূৰ্ণ। কাৰণ দিনটোৰ শেষত ঘূৰি আহি যদি মনে মিলা কাৰোবাক পোৱা যায়, দিনটোৰ গোটেই কষ্ট ফ্ৰাষ্ট্ৰেচন তেনেকৈয়ে দূৰ হয়। লাহে লাহে ফেয়াৰৱেল বোৰ আৰম্ভ হ'ব। এজাক মান চঞ্চল প্ৰাণ আঁতৰি যাব এটোপোলা স্মৃতিৰ সৈতে। তাৰ পাছতে আকৌ নতুন বোৰ আহিব। এইটোৱে জীৱন। তাৰ মাজতেই গঢ়ি উঠে বান্ধোনবোৰ। সন্ধ্যাই মৰমেৰে বুজালে সন্ধ্যাক,

"দুখ নকৰিবা বা। মইতো আৰু চাৰি বছৰ আছোঁৱেই ইয়াত। যেতিয়াই মন যায় তেতিয়াই গুছি আহিবা তুমি।"

সন্ধ্যাৰো মাতটো খোকাখুকি হৈছিল। কিছু সময়ৰ পাছত ৰীণা আৰু প্ৰিয়াও ওলালহি। সকলোৱে ঘৰৰ পৰা অনা পিঠা, লাৰুৰে সৈতে আবেলিটো পাৰ কৰিলে।

মাজতে অনুৰণৰ মেচেজ আহিল,

"Ahi pala?"

সন্ধ্যাই দিছিল,

"Paluhi, tumi?"

"Rati puai paluhi, night super t ahisilu"

অনুৰণ আজিয়ে আহি পাব বুলি তাই ভবা নাছিল। সিহঁতবোৰৰ সঁচাই কম অসুবিধা হয় নে? দহ বাৰ ঘন্টাৰ বাট। অভিমন্যুও অৱশ্যে আজিয়ে অহাৰ কথা। তাৰ গোলাঘাট যিহেতু ইমানো দূৰ নহয়।

"Thik ase dia, log pam evening"

অনুৰণৰ মেচেজটো দেখি ভাল লাগিল সন্ধ্যাৰ। আচলতে ঘৰৰ পৰা আহি চিনাকি মানুহখিনিক লগ কৰিলেহে ঘৰৰ দুখটো পাতল হয়। "ok" বুলি দি সন্ধ্যা বিচনাত পৰিল।

সন্ধিয়া অভিমন্যুৰ ফোনতহে সাৰ পালে সন্ধ্যাই।

"ক'ত আছ? এবাৰ লগ কৰ না প্লিজ।"

তাৰ মাতটোত যেন খুব দুখলগা সুৰ এটা। সন্ধ্যা বিচনাৰ পৰা উঠি বহিল। কি হ'ল আকৌ ইয়াৰ। এনেও সন্ধিয়া তাক লগ কৰিলেই হেঁতেন। সি তেনেকৈ কোৱাত তাই লৰালৰিকৈ মুখ হাত ধুই ওলাই আহিল। অভিমন্যু ৰৈয়েই আছিল সোৱণশিৰীৰ আগত।

"কি হৈছে অভি?" তাক দেখিয়ে সন্ধ্যাই সুধিলে। একো নকৈ তাইক হাতত ধৰি সি নিৰিবিলিৰ ফালে লৈ গ'ল। তাতে বেঞ্চ এখনত বহিল। এন্ধাৰ হোৱাৰ বাবে নিৰিবিলিৰ বেঞ্চবোৰৰ কাষতে থকা পাতল পোহৰৰ লাইটবোৰ জ্বলি আছিল। বগা লাইটবোৰ পৰি সেউজীয়া বনবোৰে এক সেউজ পোহৰৰ সৃষ্টি কৰিছিল। ৰাস্তাৰ হালধীয়া পোহৰ আৰু এই সেউজীয়াখিনি লগ হৈ পুখুৰীটোৰ পানীখিনিত যেন এক কেনভাছ আঁকিছে। মাজে মাজে পাতল বতাহজাক।

ঘন ঘনকৈ কেবাটাও হুঁমুনিয়াহ এৰাৰ পাছত অভিমন্যুয়ে ক'লে,

"তাই এবাৰ লগ কৰোঁ বুলি কৈছিল।"

"তাই মানে? শৰ্মিষ্ঠা?" সন্ধ্যাই সুধিলে।

"উম, মই নগ'লো।"

Kaushik

সন্ধ্যাই একো নোকোৱা দেখি আকৌ সিয়ে ক'লে,

"মন গৈছিল। খুব মন গৈছিল যাবলৈ, তাইক এবাৰ লগ কৰিবলৈ। কিন্তু নগ'লো। এতিয়াও তাইক পাহৰিব পৰা নাই অ' মই। তাইক ভাল নাপাওঁ এতিয়া। কিন্তু সেই আগৰ কথাবোৰ মই পাহৰিব পৰা নাই, মানি ল'ব পৰা নাই যে তাই মোৰ লগত----"

বাক্যটো শেষ কৰিব নোৱাৰিলে অভিমন্যুয়ে। মাত্ৰ দীঘলকৈ উশাহ এটা টানিলে। সন্ধ্যাই তাৰ এখন হাত নিজৰ দুইখন হাতেৰে সাৱটি লৈ ক'লে,

"মই বুজিছোঁ অভি। মনৰ ভাববোৰ তই নাভাবোঁ বুলি আঁতৰাই ৰাখিব নোৱাৰ। মনলে আহিবই। মাত্ৰ তই সেইবোৰলৈ মন নিদি অইন কামত নিজক ব্যস্ত ৰাখ। চা, মৰম ভালপোৱা এইবোৰ অমূল্য বস্তু আজিৰ দিনত। ইয়াক অযোগ্য মানুহক দিলে নিজৰহে কষ্ট হয়। ইমান বেছি নাভাবিবি। এটা লেশ্যন পালি তই, আগলৈ এইটোৱে কামত দিব তোক। গতিকে সকলো পাহৰি আগলৈ চা।"

হুঁমুনিয়াহ এটা পেলাই সন্ধ্যাৰ কান্ধতে মূৰটো পেলাই দিলে সি। তাৰ গালখনত হাতেৰে মৰম কৰি সন্ধ্যাই কৈ গৈছিল,

"জান' অভি, জীৱনে কেতিয়াবা এনে কিছুমান বস্তু দিয়ে যিবোৰ আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰোঁ সঁচা, কিন্তু এইবোৰৰ মাজতো কিদৰে জীয়াই থাকিম তাৰ পথ নিশ্চয় বাছি ল'ব পাৰোঁ। জীৱন পথ ইমান মসৃণ নহয় অ' অভি। সবাতোকৈ ডাঙৰ যুদ্ধখন নিজৰ সৈতেই, চিৰজীৱন।"

সন্ধ্যাৰ কথাখিনিয়ে মন্ত্ৰৰ দৰে কাম কৰিছিল অভিমন্যুৰ বাবে। হয়, সি নিজেই এটা সময়ত সন্ধ্যাক সাহস দিছিল। কষ্টবোৰ আনৰ হ'লেহে বুজাবলৈ সহজ কিন্তু নিজে নিজক বুজোৱাৰ দৰে টান কাম পৃথিৱীত চাগে একোৱেই নাই। এৰি যোৱাৰ খেল খনত জিকি গৈছিল শৰ্মিষ্ঠা, হাৰিছিল কেৱল অভিমন্যুৰ সপোন আৰু প্ৰতিশ্ৰুতিবোৰ। আহোঁ আহোঁ কৰা চকুপানী খিনি চকুতেই মচি সন্ধ্যাৰ বাহুৰ পৰা মূৰটো পোনাই অভিমন্যুয়ে ক'লে,

"তই পিছে বৰ ডাঙৰ ডাঙৰ কথা ক'ব পৰা হ'লি দেই।"

তাৰ গাল খনত চিকুট এটা মাৰি সন্ধ্যাই ক'লে,

"তোৰ পৰাই শিকিছোঁ আকৌ।"

Kaushik

"ঐ, এখন গালত চিকুটিছ যে? বিয়া নহ'ব মোৰ। দে দে এইখনতো চিকুট এটা মাৰ।"

তাৰ কথাত সন্ধ্যাই শব্দ কৰি হাঁহি উঠিল।

"নামাৰো, ভালেই হ'ব। বৰলা হৈ থাক তই।" বুলি বেঞ্চৰ পৰা উঠি আহিল তাই। পিছে পিছে অভিমন্যুও আহিল,

"ভালে ভালে চিকুটি দে কিন্তু দেই। নহ'লে বেলেগ ছোৱালী নাপালে তোকেই বিয়া পাতিব লাগিব।"

"ইচ মোৰ গৰজহে পৰিছে তোৰ লগত বিয়া হ'বলৈ।"

"দেখিম নহয়, মোৰ নিচিনা হেণ্ডচাম দৰা ক'ত পাঁৱ তই।"

"কথা শুন না তাৰ, বাচ ইতনা হি অভাৰ কনফিডেন্স চাহিয়ে লাইফ মে।"

কথা পাতি পাতি নিৰিবিলিৰ পৰা ওলাই আহিছিল সন্ধ্যা আৰু অভিমন্যু। মাজে মাজে দুই এটা হাঁহি। আকৌ কথা। বতাহজাক বলি আছিল। কথাত মচগুল হোৱাৰ বাবেই নাইবা এন্ধাৰ হৈ থকাৰ বাবেই হ'বলা সন্ধ্যা আৰু অভিমন্যু এটাইও মন কৰা নাছিল সিহঁত বহা বেঞ্চখনৰ পৰা দুখন বেঞ্চ পাৰ হৈ সেই কম পোহৰ পৰা গছজোপাৰ কাষৰ বেঞ্চ খনত বহি আছিল অনুৰণ। সন্ধ্যাৰ হাঁহিবোৰ তাৰ ওচৰলৈকে আহিছিল। হুঁমুনিয়াহৰ লগতে শেঁতা হাঁহি এটা সৰিছিল অনুৰণৰ। বতাহ জাক বলিয়েই আছিল। বতাহৰ গছৰ পৰা সৰিছিল এটা শুকান পাত। অনুৰণে বুটলি লৈছিল। পাতটোৰ সেউজীয়া ৰংটো এতিয়া আৰু নাই। শুকান ৰসহীন পাতটোত দুই এঠাইত বিন্ধাও ওলাইছে। কাৰোবাৰ এটা সামান্য গচকতেই মৰমৰকৈ ভাঙি পৰিব এসময়ৰ সেউজীয়া জীপাল হৈ থকা পাতটো। হুঁমুনিয়াহটো আকৌ সৰিল অনুৰণৰ। এৰা, যন্ত্ৰণানো কাৰ নাই ; নিজাকৈ এটুকুৰা ঘাঁ সকলোৰে কঢ়িয়াই।

(আগলৈ)

#নিৰিবিলি

Part 68

Kaushik

অভিমন্যুৰ লগত কথা পাতি পাতি সন্ধ্যা essential পাইছিলহি। অভিমন্যুৰ হাতখন সন্ধ্যাৰ কান্ধত। কোনোবা বাৰ তাই "হেই, এইডাল আঁতৰ" বুলি আঁতৰাই দিয়ে। সি আকৌ "কি নো অ', আহ না" বুলি টানি আনে। কথাত মচগুল হৈ গৈ আছিল সিহঁত। essentialৰ সমুখত বাছ ষ্টেণ্ডটোতে জুৰি প্ৰিয়াহঁতৰ লগতে গোটেই সন্ধ্যাহঁতৰ বিহুৰ টীমটোও আছিল। বাছ ষ্টেণ্ডটো এন্ধাৰ বাবে সিহঁতে ধৰিব পৰা নাই। বেদান্তই সন্ধ্যাক দেখি বিহু এটা জুৰিলেই,

"মই নেদেখাকে সন্ধ্যা হ'লা নো বৰ এজনী,

চকুতে পিৰিতিৰ চাঁৱনি"

লগে লগে জুৰি আৰু কংকনাই সুৰ দি লগতে ধৰিলে,

"মাতিম তোমাক কি বুলি,

জোনালী নে জানমণি"

সীমাই অভিমন্যুক জোকালে,

"ঐ, তই এনেকৈ ঘূৰিয়েই ফুৰাবি নে আগবাঢ়িবি?"

"হয় ঔ, এইডালে কয় মানে বেলেগে নিনিলেই হ'ল আৰু" বেদান্ত দাই অভিমন্যুক ঢকা এটা দি ক'লে। লগে লগে জুৰিয়ে সন্ধ্যাক সাৱটি ধৰি চিঞৰিলে,

"তেনেকৈ নক'ব দেই, আমাৰ সন্ধ্যা অভিমন্যুৰ বাহিৰে বেলেগলৈ নাযায়।"

লগে লগেই গোটেই জাকৰে হাঁহি আৰু চিঞৰ। সন্ধ্যা আঁতৰি যাবলৈ ধৰিছিল যদিও "ৰ ৰ, ক'ত যাঁৱ" বুলি জুৰিয়ে ৰখালে। সিহঁতৰ হাঁহিৰ শব্দত essentialত বহি থকা দুই এজনেও ঘূৰি চাইছিল। ঘৰৰ পৰা বহুদিন থাকি অহাৰ পাছত সকলোৰে মুখত থকা আভাখিনিয়ে চৌহদটোও জিলিকাই তোলে আৰু essential হৈ পৰে এই সকলোৰে মিলনৰ সাক্ষী। হাঁহি ধেমালিবোৰ শেষ হোৱাত বেদান্ত দাই আচল কথাটো উলিয়ালে,

"কথাটো হ'ল কেই দিন মানৰ পাছতে স্প্ৰীং ফেষ্ট হ'ব। গতিকে তাত বিহুৰ প্ৰগ্ৰাম কৰিব লাগে। আমি আগৰ বছৰ ইউনিফেষ্টলৈ যোৱা টীমটোৱেটো কৰিমেই, লগতে তহঁত নতুন বোৰেও কিবা এটা কৰ। প্ৰেকটিছৰ ইমান কথা নাই। এনেও চব ষ্টুডেণ্টেহে কৰিব।"

বেদান্তৰ কথাটো শেষ হওঁতেই জুৰিয়ে প্ৰস্তাৱটো দিলে,

"অভিমন্যু আৰু সন্ধ্যাই এটা বিহুত ডুৱেট নাচিলে কেনে হয়?"

শুনাৰ লগে লগে গোটেই কেইটাই জঁপিয়াই উঠিল। পিছে সন্ধ্যাই অলপ খং দেখুৱাই আঁতৰি গ'ল,

"কাম নাই আৰু মোৰ?"

তাই ভবাৰ দৰেই অভিমন্যুয়ে ক'লে,

"অহ, ভয় কৰিছে হব'লা। আগতে ইমান হেগুচাম ল'ৰাৰ লগত----"

"এ হ'ব হ'ব। কথা শুন চোন তাৰ। তোৰ নিচিনা চেৰা বলিয়া এটাৰ লগত বিহু নানাচি হে পাৰিছোঁ।"

সন্ধ্যাৰ কথাত জুৰিয়ে গালি পাৰি উঠিল,

"একদম মাৰ খাবি তহঁত দুটাই। একেলগে ঘূৰিও ফুৰিবি আৰু কাজিয়াও শেষ নহয়। মুঠতে তহঁতে বিহু নাচাবি। এইটো ফাইনেল। মই বেলেগ ছোৱালী দুজনী মান লৈ জেং বিহু কৰিম।"

"মোকো তহঁতৰ লগতে ল না। এইডালৰ লগত কেলে ফচাইছ?" সন্ধ্যাই ক'লে।

"এক্সকিউজ মি? তুমি এইডাল বুলি কাক ক'লা বাৰু?" অভিমন্যুয়ে সন্ধ্যাৰ সমুখলৈ আহি ক'লে।

তেনেকুৱাতে বেদান্তই প্ৰায় চিঞৰাৰ দৰেই কথাখিনি বুজাইছিল,

"মনে মনে থাকহঁত অ' অলপ। শুন সন্ধ্যা, কথাটো হ'ল প্ৰগ্ৰামটো বহুত দীঘলীয়া নহয়। দুটা এটা গান, গ্ৰুপ বিহু আৰু জেং বিহু এইবোৰ কমন প্ৰগ্ৰামটো থাকিবই। তাৰ মাজতে তহঁতৰ যুৰীয়া বিহু নাচটো থাকিলে ভাল লাগিব। মোৰ কালচাৰেল চেক্ৰেটেৰীয়ে গোটেই প্ৰগ্ৰামটোৰ দায়িত্ব দি দিলে কাৰণে এনেকে মানুহ বিচাৰি ঘূৰি আছোঁ। তাতে কাইলৈৰ পৰা ক্লাছ ষ্টাৰ্ট হোৱাৰ লগে লগে চবেই assignment আৰু presentation ত লাগিয়ে যাব।"

হয়, কাইলৈৰ পৰাই আৰম্ভ হৈয়ে যাব presentation ৰ কামবোৰ। এইটো পৰীক্ষা এইদৰেই লয়। উপায় নাই। অৱশেষত সন্ধ্যা আৰু অভিমন্যুয়ে বিহু নচাটো ঠিক হ'লে। কথাৰ বতাহে পাটকাই আৰু সোৱণশিৰীৰ লগতে ডিপাৰ্টমেন্টটো জোকাৰিলে। এনেও দৰা

Kaushik

কইনা হোৱাৰ পাছত সিহঁতক আৰু বহুতেই জোকাই, এতিয়া একেলগে নাচিব বুলি গম পোৱাৰ পাছত সন্ধ্যাক অনবৰতে চবেই সেইটো লৈয়ে কৈ থকা হ'ল।

"এইবাৰ স্প্ৰীং ফেষ্ট সঁচাকৈ স্পেচিয়েল হ'ব আকৌ দেই।"

"I just hope এইবাৰ যেন তহঁত দুটাৰ কিবা এটা হয় গে আৰু দেই।"

"তহঁত সঁচাকৈ বৰ ধুনীয়া মিলিছ অ'।"

মুঠতে নানা জনৰ নানা কথা। সদায়ৰ দৰে সন্ধ্যাই হাঁহি মাৰি আঁতৰি আহে। নাহিনো কি কৰিব? হয়, তাইও ক'ৰবাত তাক ভাল পাই চাগে। নহ'লেনো চবেই ইমান জোকাই নে? জোকাই থাকিলেও চোন খং নুঠে। কিবা এটা ভাল হে লাগে। অভিমন্যুও আজিকালি কোনোবাই সন্ধ্যাৰ কথা ক'লে আঁতৰি নাযায়, বৰঞ্চ হাঁহি এটা বিয়পে তাৰ মুখতো। চকুত সন্ধ্যাৰ মৰমলগা মুখ খন ভাঁহে।

kaushik

ক্লাছবোৰৰ লগে লগে presentation বোৰো আৰম্ভ হৈ গৈছিল। কোনোবা খন পেপাৰ গ্ৰুপত কোনোবা খন অকলেই দিব লগা হয়। আজিকালি সন্ধ্যাৰ সেই প্ৰথমৰ ভয়টো নাই যদিও একেবাৰে নোচোৱাকৈ ক'বলৈ অসুবিধা হয় তাইৰ। অকল তাইৰে নহয়, অসমীয়া মাধ্যমত পঢ়ি অহা প্ৰায় সংখ্যকে এইটো অসুবিধাৰ সন্মুখীন হয়। কিন্তু এই অসুবিধা বোৰেই সজাই তোলে সিহঁতক নতুন ৰূপত।

এইবোৰৰ মাজতে সিদিনা অসমীয়াৰ জুপিতৰা মেমে সন্ধ্যাহঁতৰ MIL ৰ গোটেই কেইটাক তেওঁৰ ঘৰত বিহু খাবলৈ মাতিলে। সন্ধ্যাহঁতক আৰু কোনে পাই? প্ৰীতিষা, জুৰি আৰু সন্ধ্যাৰ লগতে ময়ূঁৰো গৈছিল মেমৰ ঘৰলৈ। essential পাৰ হৈ সোঁফালেৰে সোমাই যোৱা গলীটোৰে অলপ দূৰ গৈয়ে মেমৰ কোৱাৰ্টাৰটো। ইয়াত প্ৰফেচৰ কোৱাৰ্টাৰ বোৰ বৰ ধুনীয়া আৰু আহল বহল। ক'বলৈ গ'লে এটা এটা ফ্লেটেই। ইমান বোৰ প্ৰফেচৰৰ মাজত এই জুপিতৰা মেমৰ লগতেই সন্ধ্যাহঁত ঘৰৰ মানুহৰ দৰে হৈ পৰিছিল। মেমৰ ল'ৰা ছোৱালী কেইটাৰ লগত খেলি খেলি সৰু ছোৱালীলৈ সলনি হৈছিল সন্ধ্যা। মেমে নিজে বনোৱা বিভিন্ন পিঠা, লাৰু, কেক আদিৰে আপ্যায়িত কৰিছিল সন্ধ্যাহঁতক। কথা কম কোৱা ময়ূঁৰো লাহে লাহে মেমৰ বাবেই সন্ধ্যাহঁতৰ লগত বহুখিনি কথা বতৰা পাতিছিল। মেমৰ ঘৰলৈ সন্ধ্যাহঁত আবেলিতে গৈছিল যদিও উভতি আহোঁতে এন্ধাৰ হৈছিল। প্ৰীতিষা আৰু জুৰিৰ চাইকেল আছে। জুৰিৰ লগত সন্ধ্যা উঠিল। প্ৰীতিষাই

ময়ূঁৰক উঠিবলৈ মাতিলে। সি ক্ষীণ মিন যিহেতু তাইয়ে পাৰিব তাক। কিন্তু সি নাহিল। ক'লে,

"তোমালোক আগবাঢ়া। মই গৈ আছোঁ।"

সন্ধ্যাই অলপ জোৰ কৰিছিল। কিন্তু ময়ূঁৰ অকলেই আহিল। চাইকেলত সিহঁত কেইজনী পাৰ হৈ যোৱাৰ পাছতে হেডফোন ডাল কাণত লগালে ময়ূঁৰে। মাজে মাজে বলি থকা বতাহ জাক ঠেলি হালধীয়া ষ্ট্ৰীট লাইটৰ পোহৰত আগবাঢ়িছিল ময়ূঁৰ। কাণত বাজি আছিল মৰমলগা গীত এটি,

"সৰাপাতে পাতে ফাগুণ নামে

পলাশৰ ৰং ৰাঙলী

বতাহে কাণে কাণে ক'লে

নহ'বা উদাস অভিমানী"

ময়ূঁৰৰ খোজৰ লগে লগে আন কাৰোবাৰ খোজ। তাৰ লগে লগে আন কাৰোবাৰ ছাঁয়া। তাৰ হাতত আন কাৰোবাৰ হাত। হাঁহি মাৰি ছাঁয়া মূৰ্তিটোলৈ চাই ক'লে সি,

"ৰাধা"

Kaushik

কাইলৈ স্প্ৰীং ফেষ্ট। এই ফেষ্টটোক প্ৰতি বাৰে এক বিশেষ নামেৰে নামাকৰণ কৰে। এইবাৰ দিছে, "বসন্তৰ লহৰে লহৰে"। বৰ বিশেষ হাই উৰুমি নাই। কাৰণ সেই এটাই। সকলোৰে assignment, presentation বোৰ চলিয়ে আছে। কিন্তু তাৰ মাজতে স্প্ৰীং ফেষ্টলৈ সকলো ৰৈ আছিল। এই ব্যস্ততাৰ সময় খিনিৰ মাজত স্প্ৰীং ফেষ্টটো এটা ব্ৰেকৰ দৰে হয়। লাগিলে অলপ সময়ৰ বাবেই হওঁক, সকলোবোৰ পাহৰি বিহুত মতলীয়া হয় সকলো।

সন্ধ্যা আৰু অভিমন্যুয়ে বৰ বিশেষ প্ৰেকটিছো কৰা নাছিল। তেনেকৈয়ে ষ্টেজত উঠিছিল সিহঁত। দৰ্শকৰ মাজত উত্তাল চিঞৰে জোকাৰি আছিল হলটোক। জুবিনৰ বিখ্যাত বিহুটোত নাচিছিল সিহঁতে,

"কিনো চাঁৰনিৰে চালা মোক ঐ

দেহা সিৰসিৰাই গ'ল মইনাজান ঐ

পেটলৈ ভাত নোযোৱা

পেটলৈ ভাত নোযোৱা হ'ল"

বিহুৰ লগতে এটা ৰোমান্টিক পৰশ থকা সন্ধ্যাহঁতৰ নাচটো সঁচাই বৰ ধুনীয়া হৈছিল। তাৰ পাছতেই নিবেদিতা, লিপি বা আৰু ইন্দ্ৰাণী বাহঁতে জাপি লৈ লৈ নচা বিহুটোও বৰ মনোমোহা হৈছিল। মাজতে কৃষ্ণমণি দাই বিহুও গাইছিল। সন্ধ্যাহঁতে গ্ৰীণৰুমতেই নাচিছিল। শেষত জুৰিহঁতৰ জেং বিহু। এটা পুৰণি সংস্কৃতি দাঙি ধৰিছিল জুৰিহঁতে। আজিকালি জেং বিহু গাঁৱতো দেখিবলৈ নাই। বাৰু যিয়ে হওঁক, সেইদৰেই স্প্ৰীং ফেষ্ট শেষ।

শেষ কৰি লগৰ কেইজনীৰ লগত সন্ধ্যা সোৱণশিৰীলৈ আহি আছিল। চাদৰ মেখেলা যোৰ পিন্ধি থকাৰ বাবে লাহে লাহে খোজ দি কথা পাতি আহি আছিল। তেনেকুৱাতে নীলাচলৰ সমুখতে তাই আঁতৰৰ পৰা দেখিলে অনুৰণ চাইকেলত আহি আছে। সন্ধ্যাৰ লগত কংকনাও আছিল। তাইৰ অলপ অনুৰণক জোকাবলৈ মন গ'ল। কথাটো কংকনাক ক'লে। এইবোৰ কামত কংকনা এনেও ওস্তাদ। তাই সাজু হ'ল। সন্ধ্যাই সকলোৱে শুনাকৈ অনুৰণক মাতিলে,

"অনুৰণ, শুনা না।"

সি আহি সিহঁতৰ ওচৰতে চাইকেল ৰখোৱাত সন্ধ্যাই সুধিলে,

"প্ৰগ্ৰাম চালা নে নাই?"

"চালোঁ অলপ। ভাল নাচিছিলা অভি আৰু তুমি।" তাৰ শান্ত উত্তৰ সদায়ৰ। তেনেতে সাজু হৈ থকা কংকনাই লেনিয়াই মাত দিলে,

"আৰু আমাক? আমাৰ নাচ কেনেকুৱা হৈছিল?"

অনুৰণ অস্বস্তিত পৰা সন্ধ্যাই দেখিছিল। হাঁহিটো জোৰকৈ ধৰি ৰাখিছে তাই। অনুৰণে একো নোকোৱা দেখি সন্ধ্যাই আকৌ ক'লে,

"অনুৰণ, এইয়া কংকনা। তোমাৰ লগত চিনাকি হয় বোলে।"

কংকনা লগে লগেই আগবাঢ়ি আহিল,

Kaushik

"হাই, তোমাৰ ঘৰ?"

অনুৰণে গহীন হৈ ক'লে, "ডিব্ৰুগড়।"

"ৱাও, মোৰো ডিব্ৰুগড়। ইমান মিলিছে ন?"

হাঁহি লুকুৱাবলৈ গৈ সুদা মুখতে চৰচৰ্নি খাইছিল সন্ধ্যা। এই কংকনা জনীয়েও যে ভাল পাৰে দেই। ল'ৰা জোকাবলৈ গৈ গুৱাহাটীৰ পৰা তাইৰ ঘৰ ডিব্ৰুগড়ত হৈ গ'ল। অনুৰণে বহুত কষ্টত যে থিয় হৈ আছে দেখাতেই গম পায়। মুখখন ৰঙা চিঙা পৰি গৈছিল তাৰ। শেষত "মই গৈ থাকোঁ" বুলি কৈ চাইকেলত উঠি পেডেল মাৰিলে সি। সন্ধ্যাৰ এইবাৰ অলপ বেয়া লাগিল। তাই বাৰু ধেমালিৰ নামত জোখতকৈ বেছি কৰি দিলে নেকি? পিছফালৰ পৰা মাত লগালে তাই,

"অনুৰণ, ৰ'বা।"

তাই নৰ'ব বুলি ভাবিছিল যদিও সি ৰ'লগৈ অলপ আঁতৰত। সন্ধ্যাই কংকনাহঁতক তাতে এৰি অনুৰণৰ ওচৰ পালেগৈ। তাই একো ক'বলৈ নাপাওঁতেই সি ক'লে,

"কি আছিল মানে এই বিলাক?"

মুখখন অলপ যেন ফুলি আছে তাৰ সৰু ল'ৰাটোৰ দৰে। সন্ধ্যা হাঁহি উঠিছিল,

"কি মানে? তাই ইমান মৰমত তোমাৰ লগত চিনাকি হৈছে তুমি আকৌ গুছি আহিলা।"

"হ'ব নেকি? জানো মই এইবোৰ যে তোমাৰেই কাম।"

তাৰ মাতত সম্পূৰ্ণ অভিমান। সন্ধ্যাৰ কিবা মৰম লাগি গ'ল। অনুৰণৰ অলপ দীঘল হৈ থকা চুলিখিনিত আঙুলিৰে জোকাৰি তাই কৈছিল,

"আই ঐ, বৰ জানে একেবাৰে।"

অনুৰণে তাইৰ হাতটো আঁতৰাই দি ক'লে,

"নামাতিবা মোক।"

তাৰ কথা কোৱাৰ সুৰত তাইৰো হাঁহি উঠিল। এফালে অভিমান এফালে অভিনয়। তাৰ এইটো ৰূপ বেলেগে দেখা হ'লে আচৰিত হৈ গ'লহেঁতেন। কিন্তু সন্ধ্যাই জানে, তাৰ এইটো ৰূপ অকল তাইহে চিনি পায়। মৰমেৰে সন্ধ্যাই কৈছিল,

Kaushik

"ধেমালি কৰিছোঁ ল'ৰা। মৰমতে হে কৰিছোঁ। সেইটোও নুবুজা নে?"

সন্ধ্যাৰ কথা কোৱাৰ ভাঁজত অনুৰণৰো হাঁহি উঠি গ'ল। এনেও সি অভিমান কৰাৰ ভাও হে ধৰিছিল। সন্ধ্যাৰ ওচৰত জানো সি অভিমান কৰিব পাৰে? তাৰ ভাও সন্ধ্যাইও বুজিছিল। তাইৰ কথাৰ উত্তৰত অনুৰণে ক'লে,

"নালাগে দেই, নুবুজো মই এনেকুৱা মৰম।"

কথাটো কৈয়ে পেডেল মাৰি আগবাঢ়িছিল সি। সন্ধ্যাৰ হাঁহি উঠিছিল। নিজৰ লাজকুৰীয়া বন্ধু কেইটাক জোকোৱাৰ নিচিনা মজা নাই। অনুৰণকো সেইবাবেই জোকাই ভাল পাই তাই। তাই জানে, তাই জোকালে সিও বেয়া নাপায়। সন্ধ্যাই পিছফালৰ পৰা হাঁহি হাঁহিয়ে গীতৰ কলি এটা আওৰাই অনুৰণলৈ চিঞৰিছিল,

"নুবুজিবা তুমি ক'লে মইনা,

বুজি পাবা মোক পালে মইনা,

মৰমনো আচলতে

মৰমনো আচলতে কি"

তাইৰ গানটো শুনিবলৈকে হ'বলা আগবাঢ়ি গৈ থাকিলেও চাইকেলৰ পেডেল লাহে লাহে মাৰিছিল অনুৰণে। সন্ধ্যাৰ গানত মুখত হাঁহিৰ পৰশ এটা লৈ হোষ্টেললৈ আগবাঢ়িছিল অনুৰণ।

বিভিন্ন পেপাৰৰ presentation হৈ আছিল। তাৰ মাজৰে হিষ্ট্ৰী পেপাৰৰ বাবে individual presentation হৈছিল। সন্ধ্যাৰ টপিক আছিল "Shakespearean Tragedy"। ইয়াৰ বাবে অনুৰণে জোকাইছিলোঁ তাইক,

"অকল ট্ৰেজেদী আৰু ৰোমান্স ন?"

সন্ধ্যাই হাঁহিছিল। তাইৰ সঁচাকৈ ভাল লাগে ছেক্সপীয়েৰৰ ট্ৰেজেদীবোৰ। অন্তৰত কিমান দুখ থাকিলে তাক কল্পনাৰ চৰিত্ৰৰ মাজেৰে প্ৰকাশ কৰিব পৰা যায় বাৰু? সন্ধ্যাই presentation টোত সামৰি লৈছিল ছেক্সপীয়েৰৰ ট্ৰেজেদীৰ কিছুমান বিশেষত্ব। যেনে,

A tragic hero.

Kaushik

A dichotomy of good and evil.

A tragic waste.

Hamartia (the hero's tragic flaw)

Issues of fate or fortune.

Greed.

Foul revenge.

Supernatural elements.

এই সমূহ তেখেতৰ ট্ৰেজেদীবোৰত কেনেকৈ প্ৰকাশ পাইছে সেইটোৱে আছিল সন্ধ্যাৰ টপিকৰ মূল কথা। presentation টো ভালকৈয়ে হৈ গৈছিল। সন্ধ্যাই Macbeth, Othello, King Lear আদিৰ উদাহৰণ দি খুব ধুনীয়াকৈ বুজাই দিছিল। presentation শেষ হোৱাত মেমে ক্লাছৰ বাকীবোৰক কিবা প্ৰশ্ন আছে যদি সুধিবলৈ ক'লে। কোনেও সোধা নাছিল যদিও সুনীতাই টপৰাই সুধিলে,

"So Sandhya, don't you think some elements of Shakespearean tragedy are reflected in Shakespearean sonnet also? If yes, can you please elaborate?"

সন্ধ্যাই কি কওঁ ভাবি নাপালে। তাইৰ টপিক আছিল ছেক্সপীয়েৰৰ ট্ৰেজেদীহে, চনেট নহয়। আৰু সন্ধ্যাৰ সেই বিষয়ে আগৰ পৰা ইমানো বিশেষ জ্ঞান নাই যে তাই লগে লগেই উত্তৰ দিব পাৰিব। তাৰোপৰি ইংৰাজীত সন্ধ্যাৰ ইমানো দখল অহাগৈ নাই যে তাই চালে বেৰে কোবাই এগাল মান কথা কৈ গা সাৰিব। তাতে সমুখত মেম বহি আছে, নিদিলেওতো নহ'ব। এই ক্লাছৰ মানুহবোৰ কিয় এনেকুৱা বাৰু? পোন্ধৰ মিনিটৰ presentation টোত কি একো বিচাৰি নাপালে নেকি যে টপিকৰ বাহিৰৰ প্ৰশ্ন সুধিব লগা হ'ল। কিছুমানে এই কামটো ইচ্ছা কৰিয়ে কৰে। যাতে মেমৰ আগত বেলেগক হীন দেখুৱাই নিজৰ নম্বৰ গোটাব পাৰে। সন্ধ্যাই কওঁ নকওঁ কৰি ৰৈ আছিল। লাজ, ভয় আৰু দুখে আগুৰিছিল তাইক। তেনেতে পিছফালৰ পৰা অভিমন্যু থিয় হৈ সকলোৱে শুনাকৈ মেমক ক'লে,

"Ma'am, her topic is Shakespearean Tragedy. She focused on tragedy only. So, don't you think this question is her out of the topic?"

ক্লাছৰ সকলোৰে লগতে মেমেও ঘূৰি চাইছিল অভিমন্যুলৈ। তেখেতেও হয়তো কথাটো এতিয়াহে মন কৰিলে। সেইবাবে সুনীতাক ক'লে,

"Yes abhimanyu is right. Sunita, don't ask any questions from out of the topic ok?"

Kaushik

সুনীতাৰ খং উঠিছিল যদিও "sorry ma'am" বুলি বহিল তাই। স্বস্তিৰ নিশ্বাস পেলাইছিল সন্ধ্যাই। presentation দি উভতি আহি বেঞ্চত বহোতে কাষত থকা অভিমন্যুয়ে তাইৰ কঁপি থকা হাতখন নিজৰ দুইখন হাতৰ মাজত লৈ ধৰি আছিল জোৰেৰে। তালৈ চাইছিল হাঁহিছিল সন্ধ্যাই। আজিৰ পৃথিৱীত এনে এখন হাতৰেই প্ৰয়োজন।

ক্লাছ শেষ হোৱাত অভিমন্যুৰ লগতে আহি essential ত সোমাইছিল সন্ধ্যা। তাইৰ কিবা কিনিব লগা আছিল। অভিমন্যু বাহিৰৰ গছৰ তলতে চকী এখনত বহিল। বস্তু কেইটা লৈ আহোঁতেই হঠাৎ সুনীতাই লগ পালে। ক্লাছৰ কথাটো লৈ তাইৰ অলপ খং উঠি আছিলেই, সেইবাবে সন্ধ্যাক অকলে পাই অলপ ঠাট্টাৰ সুৰত ক'লে,

"চন্ধ্যা, তোমাৰ ইংলিচ স্পীকিঙত অলপ প্ৰবলেম হয় ন?"

সুনীতাৰ কথা সোধাৰ অৰ্থ খুব ভালকৈ বুজি পালেও সন্ধ্যাই ভালদৰেই ক'লে,

"অঁ সুনীতা। মই তাতে অসমীয়া মাধ্যমৰ আছিলোঁ যে সেইবাবে কিছু অসুবিধা হয়।"

সুনীতাই হঁহাৰ দৰে কৰিলে,

"অহ, চেড। একো নাই দিয়া।"

সন্ধ্যাক আঘাত কৰিবলৈ চেষ্টাত থকা সুনীতাই মন কৰা নাছিল, সিহঁতৰ কথাখিনি অলপ আঁতৰৰ পৰা যে অভিমন্যুয়েও শুনি আছিল। সুনীতা বাহিৰলৈ অহাৰ লগে লগে অভিমন্যুয়ে নিজেই মাত দিলে,

"হেই সুনীতা, বজাৰ কৰিলা নেকি?"

"য়া, এই অলপ দুই এটা।"

"সুনীতা, তোমাৰ ইংৰাজী উচ্চাৰণ খিনি কিন্তু খুব মনোমোহা দেই। ইমান সাৱলীল ভাৱে কথোপকথন কৰা।"

অভিমন্যুৰ কথাত সুনীতাৰ পিছফালে থকা সন্ধ্যাৰ হাঁহি উঠিল। তাই জানে সুনীতাক এইদৰে কোৱাৰ কাৰণ কি। একো নুবুজাৰ দৰে সুনীতাই ক'লে,

"ৱেট ৱেট, কি ক'লা? উচ চাৰণ, কথোপ কথ কি?"

অভিমন্যুয়ে যিমান পাৰি সিমান আচৰিত হোৱাৰ দৰে ক'লে,

Kaushik

"কি? তুমি অসমীয়া নাজানা? ছি ছি, মইতো ভাবিছিলো তুমি ইমান চোকা, ইংৰাজী অসমীয়া সমানেই জানা। কিন্তু তুমি সৰু শব্দ এটাও নাজানা চোন। ইচ, লাজ লগা কথা দেই। নিজৰ ভাষাটোৱেই নাজানা, আৰু আনৰটো লৈ গৌৰৱ কৰা? হাও ৰিডিকুলাচ হে"

অভিমন্যুয়ে শেষৰ কথাটো ছোৱালীৰ সুৰ এটা দি লেনিয়াই ক'লে। খঙত উচাৎ মাৰি আঁতৰি গৈছিল সুনীতা। সন্ধ্যাই হাঁহি হাঁহি ওচৰ পালেহি,

"কাম নাই আৰু তোৰ?"

"এইবোৰক এনেকৈয়ে দিব লাগে। এই সোপা ভাবি নাথাকিবি তই।" বুলি হোষ্টেলৰ ফালে গৈছিল অভিমন্যু। সন্ধ্যাও সোৱণশিৰীত সোমাল।

অভিমন্যুয়ে ভবাৰ দৰে সুনীতাৰ কথাত সন্ধ্যাই আঘাত পোৱা নাছিল। ইংৰাজী নজনাটো কোনো লাজৰ কথা বুলিও নাভাবে তাই। কিন্তু কি দিশত গৈ আছে এই এচাম ল'ৰা ছোৱালী? এটা ভাষাই কাৰোবাৰ বৌদ্ধিকতাৰ পৰিচয় দিব পাৰে বুলি কেনেকৈ ভাবিব পাৰিছে? ইউনিভাৰ্চিটীখনত তাই মন কৰিছে ইংৰাজীত কথা কোৱাটো যেন সাংঘাতিক গৌৰৱৰ হে কথা এনে পৰিৱেশো নথকা নহয়। তথাপি তাই আশা কৰে, এদিন ঠিক হ'ব এইবোৰ। মাতৃভাষাৰ গুৰুত্ব কি সেয়া বুজিব লাগিব সকলোৱে।

Kaushik

Presentation বোৰ চলিয়ে আছিল। এইবোৰ হোৱাতকৈ আচলতে written exam হোৱাই ভাল। ধুনীয়াকৈ পঢ়ি মেলি পৰীক্ষা দিলেই আজৰি। কিন্তু presentation বুলি ক'লেই গ্ৰুপ বনোৱা, টপিক বাছি লোৱা, তাৰ পাছত নেট নহ'লে লাইব্ৰেৰী খুচৰি খুচৰি assignment টো লিখা, তাৰ পাছত আকৌ PPT দি presentation দিয়া। অশান্তি মানে।

সেইদিনাও সন্ধ্যাই লেপটপত পিছদিনা চাবমিট কৰিব লগা assignment এটাই লিখি আছিল। ব্যস্ততাৰ বাবে কিমান ৰাতি হৈছিল তাইৰ মনত নাই। এই কেইদিনতে কেইবাটাও চাবমিট কৰিব লগা আছে। সেইবাবে মূৰ দাঙিবলৈকে সময় নাই। বিদিশাও নিজৰ ডিজাৰ্টেচনৰ কামত ব্যস্ত। এনেতে হঠাৎ ধমকৈ দুৱাৰখন খুলি দীপা সোমাই আহিল। ৰাতিৰ নিৰ্জন হৈ থকা কোঠাটোত ধমকৈ শব্দটো হোৱাত উচপ খাই উঠিল সন্ধ্যাহঁত। প্ৰায় কান্দোনৰ মাতেৰে দীপাই ক'লে,

"ৰীণাই, ৰীণাই---"

ফোঁপাই আছে দীপা বাই। ঘন ঘনকৈ লোৱা উশাহত মাতটো যেন ঘূৰি অহা নাই। সন্ধ্যাহঁত উঠি আহিল বিচনাৰ পৰা। বিদিশাই দীপাক ধৰি লৈ সুধিলে,

"কি হৈছে ৰীণাৰ?"

"ৰীণাই---- ৰীণাই নিজৰ ৰুমতেই"

দীপাই আৰু ক'ব নোৱাৰিলে। কান্দোনবোৰে তাইৰ মাতটো হৰিছিল। বুকুখন চিৰিংকৈ গ'ল সন্ধ্যাৰ। ৰীণা বাই নিজৰ ৰুমতেই মানে? কি কৰিলে? সিদিনা ৰীণাক তাই অকলে অকলে হোষ্টেলৰ আগফালে বহি থকা দেখিছিল। সন্ধ্যাই "কি হ'ল" বুলি সোধোতেও একো কোৱা নাছিল। কেনেবাকৈ পুৰণি কথাবোৰত বেছিকৈ সোমাই তাই কিবা অঘটন কৰা নাইতো? দীপা আৰু বিদিশা একে দৌৰে ৰীণাৰ ৰুমৰ ফালে গৈছিল। সন্ধ্যাৰ চোন ভয় লাগিছে ৰীণাৰ ৰুমলৈ যাবলৈ। কি কৰিছে ৰীণা বাই? দীপা বাৰ অৱস্থা দেখি চোন সেই ভয়ংকৰ কথাটোৱেই মনলৈ আহিছে সন্ধ্যাৰ বাৰে বাৰে। যাওঁ নাযাওঁ কৰি এখোজ দুখোজকৈ সন্ধ্যা আগবাঢ়িছিল ৰীণাৰ ৰুমলৈ।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 69

খোজৰ লগে লগে বুকুখনো ধান বনাদি বানিছিল সন্ধ্যাৰ। ৰীণা বাৰ প্ৰতিটো কথা মনলৈ আহিছিল। সঞ্জীৱৰ লগত সংসাৰ, অকালতে আহি পৰা বৈধব্য জীৱন তাৰ পাছতো জীৱনটোক নতুনকৈ জীওৱাৰ প্ৰচেষ্টা। ইমানৰ পাছতো এনেকুৱা কি হ'ল যে ৰীণা বাই....!! ধেৎ, কি ভাবিছে সন্ধ্যাই এইবোৰ? নাই, একো হোৱা নাই ৰীণা বাৰ। ইমান ফুৰ্তিবাজ, ইমান শক্তিশালী বা জনীয়ে কোনো বেয়া সিদ্ধান্ত ল'ব নোৱাৰে। কথাখিনি ভাবি ভাবি সন্ধ্যা ৰীণাৰ ৰুমৰ সমুখত ৰ'ল গৈ। দুৱাৰখন বন্ধ। ভিতৰত কোনো মানুহ থকাৰ উমান নাই। বুকুখনৰ ঢপঢপনি বাঢ়ি আহিছে। কঁপা কঁপা হাতেৰে দুৱাৰ থেলিলে সন্ধ্যাই। কেৰেককৈ শব্দ এটা কৰি খুলিল। ভিতৰটো অন্ধকাৰ। লাইট অফ চোন। সন্ধ্যা সোমাই গৈ মাত দিলে,

"ৰীণা বা--- অ' ৰীণা বা---"

কোনো উত্তৰ নাই। কেই ছেকেণ্ড মাৰ পাৰ হৈছিল হে। হঠাৎ লাইটটো জ্বলি উঠিল। ৰুমটোৰ চাৰিওফালে লুকাই থকা ৰীণা, দীপা, বিদিশা, কংকনা, ৰুবী, প্ৰিয়াহঁতে চিঞৰি চিঞৰি সন্ধ্যাক বেড়ি ধৰিলে,

"Happy birthday to you,

Happy birthday to you,

Happy birthday dear Sandhya

Happy birthday to you"

কোনোবাই ফেনখন চলাই দিয়াৰ লগে লগে ফেনৰ ওপৰত থকা ফুলৰ পাহি আৰু বালিছন্দা বোৰ গোটেই ৰুমটোত বিয়পি পৰিছিল। সন্ধ্যা স্থবিৰ হৈ গৈছিল। আজি সাত মে'। তাইৰ জন্মদিন। সেইবাবেই এই আয়োজন। কিন্তু তাৰ বাবে এনেকুৱা ভয়ংকৰ মিছা কথা এটা কোৱাটো কি জৰুৰী আছিল? সন্ধ্যাই একো প্ৰতিক্ৰিয়া নিদি ৰৈ থকা দেখি ৰীণা আগুৱাই আহিছিল। সন্ধ্যাই লগে লগে তাইক সাৱটি ধৰি জোৰেৰে কান্দি উঠিল। ৰীণাই মূৰত হাত ফুৰাই ক'লে,

"হেই আঁকৰী জনী, কিয় কান্দিছ? জন্মদিনৰ দিনা নো মানুহে কান্দে নে?"

সন্ধ্যাই কান্দি কান্দিয়েই ক'লে,

"বহুত বেয়া পাইছোঁ বা তোমালোকক। এইবোৰ কথা লৈ কোনোবাই ধেমালি কৰেনে? কিমান ভয় খাইছিলোঁ মই।"

আলসুৱা সন্ধ্যালৈ মৰম লাগি গৈছিল সকলোৰে। ৰীণাই তাইৰ চকুপানী খিনি মচি দি ক'লে,

"ছৰী অ', আমাৰ এইটোৱে নিয়ম। প্ৰথমে সাংঘাতিক ভয় এটা খোৱাই লওঁ। মনত নাই, বিদিশাক কেনেকৈ ভয় খোৱাইছিলো?"

বিদিশাইও আগুৱাই আহি ক'লে,

"এতিয়া কান্দোন বন্ধ কৰ। আৰু বাথৰুমলৈ ব'ল।"

"কি? নাই নাই, মই এইবোৰ নকৰোঁ দেই।" বুলি সন্ধ্যা পলাব খুজিছিল যদিও গোটেই কেইজনীয়ে ধৰি প্ৰায় দাঙি নিয়াৰ দৰে বাথৰুমলৈ লৈ গ'ল তাইক। প্ৰথমেই চেম্পু মিহলাই খোৱা পানী এসোপা মূৰত ঢালি দিলে বিদিশাই। তাৰ পাছতে সন্ধ্যাই তলকিব

Kaushik

নোৱাৰাকৈ তৃষ্ণা বোলা ছোৱালী জনীয়ে তাইৰ মূৰত কণী এটা পেৰেককৈ ভাঙিলেহে। কণীৰ গোন্ধত সন্ধ্যাই চিঞৰি উঠিল,

"তৃষ্ণা তোক চাই ল'ম মই।"

গোটেই জাকে হাঁহি হাঁহি পানী আৰু চেম্পুৰে মূৰটো ধোৱালে তাই। দীপাই "ৰুমমেটকো দিব লাগে" বুলি বিদিশাৰ গালৈকো পানী এমগ মাৰিলে। বিদিশাইও দীপালৈ দলিয়াই পানী ভৰ্তি বাল্টিটো। দীপা পলাইছিল যদিও সাৰিব নোৱাৰিলে। সিহঁতৰ কাণ্ড দেখি গোটেই উইংটোৰ ছোৱালী কেইজনীৰ হাঁহিত অৱস্থা নাই। সঁচাই, যিমানেই ডাঙৰ নহওঁক কিয় সকলো মানুহৰেই মাজত এটি শিশু থাকে। যিয়ে সেই শিশুটিক জীয়াই ৰাখিব জানে, জীৱনটোক প্ৰকৃতাৰ্থত তেওঁলোকেহে উদযাপন কৰিব পাৰে। পানীময় হোৱা উইংটোত বেত মেলি মেলি আহিব লগা অৱস্থা। সন্ধ্যা, বিদিশা আৰু দীপা কাপোৰ সলাবলৈ ৰুমত সোমাল। এইটো অৱস্থাত কেক কটা সম্ভৱ নহয়। কেক ৰীণাৰ ৰুমতে আছিল বাবে তাই "সোনকালে আহিবি দেই" বুলি বাকীখিনি ছোৱালীৰ লগত নিজৰ ৰুম পালেগৈ।

টোপনিত লালকাল অভিমন্যু। এনেও সি ৰাতি বৰ বেছি সময় সাৰে নাথাকেই। তাতে আজি দিনত নুশুৱাৰ বাবে এঘাৰ মান বজাতে টোপনিত পৰিল। অহৰহ বাজি থকা মোবাইলটোতো সাৰ পোৱা নাছিল। এনেতে কোনোবাই বাৰে বাৰে মাতি থকা শুনি থকমককৈ উঠিল। বিচনাৰ কাষতে অনুৰণ। চকু কেইটা মোহাৰি হামি এটা মাৰি সি ক'লে,

"ঐ, কোৱা।"

"আজি সন্ধ্যাৰ বাৰ্থদে। ফোন কৰিলা?"

অনুৰণৰ কথাত জাঁপ মাৰি উঠিল সি,

"অহ হ'ল। পাহৰি থাকিলোঁ ৰে। সিদিনা তাইক নিজেই সুধিছিলোঁ, গিফ্টো কিনিলো প্ৰিয়াহঁতৰ লগত গৈ। আৰু আজি পাহৰি গ'লো। ধেৎ তেৰি। থেংক ইউ অনুৰণ। তুমি নজগোৱা হ'লে যে তাই বেয়ায়ে পালে হেঁতেন মোক।"

অনুৰণে হাঁহি মাৰি ক'লে,

Kaushik

"বৰ বেছি দেৰি হোৱা নাই। ফোন কৰা এতিয়া। খালী মই কৈছোঁ বুলি নক'বা।"

অভিমন্যুয়ে খৰধৰকৈ ফোন লগালে।

তিতা কাপোৰ সাজ সলাই চুলিখিনি টাৱেলেৰে টুকি আছিল সন্ধ্যাই। এই দন্দুৰী কেইজনীয়ে এই ৰাতিখনো মূৰ ধোঁৱাই হে এৰিলে তাইক। বিদিশা ৰীণাৰ ৰূম পালেগৈ অলপ আগতে। তাইও যাবলৈ ওলাইছেই। তেনেতে ফোনটো বাজিল। অভিয়ে কৰিছে। নামটো দেখিয়ে মুখত হাঁহি এটা বিৰিঙিল তাইৰ। কেতিয়াবা মোবাইলৰ ৰিংটনটোও ভাল লাগে, যেতিয়া তাত বিশেষ জনৰ নামটো জিলিকি থাকে। ৰিচিভ কৰাৰ লগে লগেই মৰমেৰে ক'লে,

"হেপ্পী বাৰ্থদে জান"

ফোনটো কান্ধত থৈ মূৰটোৰে হেলনীয়াকৈ হেঁচি ধৰি চুলিখিনি ফণিয়াই সন্ধ্যাই কৈছিল

"থেংক গড। তোৰ মনত যে আছে।"

"তোৰ বাৰ্থ দে আৰু মোৰ মনত নাথাকিব নে?"

অনুৰণৰ ফালে চকুটিপ এটা মাৰি অভিমন্যুয়ে ক'লে।

"ইচ, হ'ব দে। মোৰ গিফ্ট কি দিবি পিছে?"

"দিবলেতো বহুত আছে, তুমি বা লোৱা নে নাই?"

অভিমন্যুৰ কথাত হাঁহি হাঁহি সন্ধ্যাই ক'লে,

"একদম চাঞ্চ পালেই হ'ল আৰু ন? চেনিৰ টেমাটো খুলিয়েই লৱ মানে?"

অভিমন্যুয়েও হাঁহিছিল,

"ক, কি লাগিব?"

"মোক ধুনীয়া দীঘল চাই ম'ৰা পাখি এটা দিবি না। ৰুমত সজাবলৈ লাগে। বিচাৰিও পোৱা নাই। যি কেইটা পাইছোঁ ভাল নহয়, পাখিবোৰ ছিগি যায়।"

সন্ধ্যাৰ কথাত আৰু হাঁহি উঠিল অভিমন্যুৰ,

"কি আচৰিত ছোৱালী অ' এইজনী? জন্মদিনত কোনে ম'ৰা পাখি বিচাৰে বাৰু? হ'ব দে আনি দিম বাৰু এটা।"

Kaushik

অনুৰণে হঠাৎ মূৰ তুলি চাইছিল। তাৰ পাছত ৰুমৰ দুৱাৰখন জপাই ওলাই আহিছিল। খুব জোৰেৰে এটা দীঘলীয়া উশাহ টানি খালী কৰিডৰটোৰে আগবাঢ়িছিল সি নিজৰ ৰুমটোলৈ।

"সন্ধ্যা, কেক কিন্তু আমিয়েই কাটি দিম দেই।"

সন্ধ্যা গৈ নোপোৱা দেখি প্ৰিয়া তাইৰ ৰুম পাইছিলহি। লৰালৰিকৈ ফোনটো থৈ সন্ধ্যা ৰীণা বাৰ ৰুম পালেগৈ। তেতিয়াহে মন কৰিছিল তাই, ৰুমটো লাইটেৰে সজাই থৈছে সিহঁতে। ৱালখনত ৰঙা নীলা কাগজ বোৰেৰে লিখি থৈছিল,

"Happy Birthday Sandhya"

কেকটোৰ লগতে তাইলৈ গিফ্টবোৰ ৰাখি থৈছিল সিহঁতে। চকলেট, কাপোৰ, কাৰ্ড, ফুলৰ থোপা আদি বিভিন্ন। ৰীণা, দীপা আৰু বিদিশাই মিলি তাইক এখন বেড টেবুল উপহাৰ দিছিল। সকলোৰে মৰমবোৰ দেখি চকুলো বৈ আহিছিল সন্ধ্যাৰ। এই অকমাণি পৃথিৱীখন ইমান কম দিনতে ইমান বেছি আপোন হৈ পৰিব বুলি তাই ভবাই নাছিল। সকলোৰে চিঞৰ বোৰৰ মাজত তাই কেকটো কাটিলে। সকলোকে খোৱাই ফটো উঠি মেলি প্ৰায় আধা ঘণ্টা মানৰ মূৰত ৰুমলৈ আহিছিল উপহাৰ বোৰ লৈ। বিচনাত পৰি হোৱাটচ এপটো খুলি শুভেচ্ছা দিয়া বিভিন্ন জনক ধন্যবাদৰ মেচেজ দি আছিল তাই। ঘৰৰ পৰা পাপৰিহঁতেও ফোন কৰিলে। এইবাৰ প্ৰথম তাই জন্মদিনত ঘৰত নাই। সিহঁতৰো বেয়া লাগিছে চাগে। কিছু সময়ৰ পাছত বাকী থকা assignmentৰ কামখিনি কৰি শুবলৈ লওঁতেই অনুৰণৰ মেচেজ,

"Happy Birthday"

অহ, এতিয়াহে মনত পৰিছে এখেতৰ। গ্ৰুপৰ মেচেজ দেখিলে চাগে। সন্ধ্যাই উত্তৰ দিলে,

"Eman deri"

"Beya paisa?"

অনুৰণৰ মেচেজবোৰ পঢ়িলে কিয় জানো সন্ধ্যাৰ এনেকুৱা লাগে যেন তাৰ মাতটোহে কাণৰ কাষত বাজিছে। বেয়া পাব পাৰি জানো তাক? কেতিয়াও নোৱাৰি। সন্ধ্যাই লিখিছিল,

"Tumak beya pabo pari janu?"

Kaushik

অনুৰণৰ উত্তৰ,

"Janu, nupua tumi beya. Happy bday once again"

"Thank you Ran"

ৰাতি প্ৰায় দেৰি হৈছিল বাবে বেছি কথা নাপাতি বিচনাত পৰিল সন্ধ্যা। ৰাতিপুৱা আকৌ ক্লাছ।

ছিগাৰেটটো শেষ কৰি পাটকাই ছাদৰ পৰাও যাযাবৰী অনুভৱ বোৰ জোকাৰি ৰুমলৈ নামি আহিছিল অনুৰণ।

পিছদিনা ক্লাছৰ পৰা বাহিৰেই সন্ধ্যা মহাভৈৰৱলৈ গৈছিল। লগত আছিল চন্দ্ৰালী। মন্দিৰত মহাদেৱৰ আশীষ লৈ সন্ধ্যাৰ অনুৰোধ ৰক্ষা কৰি চন্দ্ৰালীয়ে তাইক লৈ গৈছিল তেজপুৰৰ কেতেকীবাৰীত থকা এখন সুন্দৰ ঘৰলৈ।

"নৱ প্ৰভাত অনাথ আশ্ৰম"। নামটো শুনিয়েই মনটো ভৰি যায় যেন। সঁচাই যেন নতুন পুৱাৰ এজাক ৰ'দে জীপাল কৰি ৰাখে এই ঘৰটি। চন্দ্ৰালী আগতেও গৈ থকাৰ বাবে তাইক ইয়াত সকলোৱে চিনি পায়। তাইক দেখিয়ে কণ কণ ল'ৰা ছোৱালী কেইটা দৌৰি আহিল। সন্ধ্যাক চিনাকি কৰাই দিলে চন্দ্ৰালীয়ে। সিহঁতে লৈ যোৱা চকলেট আৰু খোৱা বস্তুবোৰ বিলাই দিছিল ল'ৰা ছোৱালী খিনিৰ মাজত। আশ্ৰমখন চোৱা চিতা কৰা মন্দিৰা বাই সন্ধ্যাহঁতক সমুখৰ ডাঙৰ কোঠাটোত বহিবলৈ দিলে। এই কোঠাটোৰ চাৰিওফালে থকা সৰু সৰু কোঠাবোৰতে সিহঁতবোৰ থাকে। সন্ধ্যাক আৱৰি ধৰি সিহঁতে কত যে কথা সুধিছিল। জ্যোতি নামৰ কণমাণি ছোৱালীজনী তাইৰ কোঁচতে বহিছিলহি। তাইৰ জন্মদিন বুলি গম পাইয়ে এজনী ছোৱালীয়ে আৰ্ট পেপাৰত হেপ্পী বাৰ্থডে বুলি লিখি আনি দিছিলহি। তাৰ পাছত গান লগাই সিহঁতৰ লগত সন্ধ্যাই এপাক বিহুও নাচি দেখুৱালে। সময়খিনি কি দৰে পাৰ হৈ গ'ল গমেই নাপালে। সিহঁতবোৰৰ সৰু সৰু মৰম লগা কোলাহলে অন্তৰ খন যেন শাঁত পেলাই দিলে। অহাৰ সময়ত দুজনী মানৰ চকু ভৰি আহিছিল। সন্ধ্যাই মৰম কৰি আকৌ আহিম বুলি কথা দিছিল। আচৰিত হৈছিল তাই, মানুহ কিমান হৃদয়হীন হ'ব পাৰিলে এই হেন দেৱশিশু কেইটিক মমতাৰ পৰা বিসৰ্জন দিব পাৰে? অহাৰ আগত মন্দিৰা বাৰ ভৰি চুই সেঁৱা কৰি কৈছিল সন্ধ্যাই,

Kaushik

"মন্দিৰৰ পূজাৰীতকৈও আপুনি অধিক পূণ্য কৰি আছে বা। নৱ প্ৰভাতৰ সমান পৱিত্ৰ ঠাই মই ক'তো পোৱা নাই।"

সন্ধ্যাই ঠিক কৰিছিল। তাই মাজে মাজে তালৈ গৈ থাকিব। জীৱনটোৰ প্ৰতি যেতিয়াই আমাৰ অভিযোগ আহে, তেতিয়া যদি এবাৰ আমি অনাথ আশ্ৰমলৈ গৈ চাওঁ আমাৰ হয়তো নিজৰ অভিযোগৰ ওপৰতে হাঁহি উঠিব।

আবেলি essentialত আকৌ সন্ধ্যাৰ জন্মদিনৰ আয়োজন। এই ঠাইডোখৰে চাগে কিমানৰ জন্মদিনৰ সাক্ষী হৈছে ঠিক নাই। গোটেই বোৰে মিলি কেক আৰু বেলুন যোগাৰ কৰিছিল। অভিমন্যুয়ে সন্ধ্যাৰ বাবে কেতিয়াবাই অৰ্ডাৰ দি আনি থোৱা এখন কিতাপ তুলি দিছিল তাইৰ হাতত। লগতে তাই বিচৰা সেই বিশেষ ম'ৰা পাখি এটা। আজি এটা ক্লাছ খতি কৰি সি টাউন গৈছিল। তাৰ পৰাই বিচাৰি বিচাৰি আনি দিছিল তাইক। বিচৰা ধৰণে ম'ৰা পাখিটো দেখি ফুৰ্তিত ক'ব নোৱাৰা হৈছিল সন্ধ্যা। জুৰিহঁতে সিহঁতক জোকোৱাৰ সুযোগটো ইয়াতো নেৰিলে। প্ৰিয়া আৰু জুৰিহঁতেও উপহাৰ দিছিল তাইক বেগ এটা। ৰঙা ৰঙৰ খুব ধুনীয়া কেক এটা যোগাৰ কৰিছিল সন্ধ্যাৰ বাবে। সকলোৱে "হেপ্পী বাৰ্থডে টু ইউ"ৰ মাজত কেকটো কাটি থাকোঁতেই কেকটোৰ ওপৰৰ ক্ৰীমখিনি লৈ কোনেও তলকিব নোৱাৰাকৈ সন্ধ্যাৰ নাকে মুখে সানি দিছিল অভিমন্যুয়ে। জুৰি আৰু সীমাই লগে লগে তাকো ক্ৰীম সানিবলৈ নেৰিলে। এপিচকৈ কেক সকলোকে খোৱাই দিছিল সন্ধ্যাই। সকলোৱে শেষত আঁতৰত বহি থকা অনুৰণৰ ফালে আগবাঢ়িছিল। বাকী বোৰে কোনোবাই বেলুন ফুটোৱাত ব্যস্ত আছিল, কোনোবাই উপহাৰবোৰ সামৰিছিল।

"মই নিজে খাম দিয়া।" সন্ধ্যাই কেক টুকুৰা দিবলৈ লওঁতেই অনুৰণে ক'লে। কিন্তু সন্ধ্যাই নামানিলে,

"নহ'ব। মোৰ বাৰ্থডে যেতিয়া মইয়ে খোৱাই দিম। আ কৰা তুমি।"

অনুৰণৰ মুখত কেক টুকুৰা গুজি দিছিল তাই। দেখিছিল অনুৰণৰ বগা মুখখনে যেন আপেল বৰণ লৈছিল। খোৱাই দি হাতত লাগি থকা ক্ৰীমকণ অনুৰণৰ নাকটোতে অকণমানকৈ লগাই দি সন্ধ্যাই ক'লে,

"ইমান লাজ একেবাৰে।"

Kaushik

অনুৰণে তলমূৰ কৰিলে। হাঁহি হাঁহি আঁতৰি আহিছিল সন্ধ্যা।

Essentialত কেক কটাৰ পৰ্ব সামৰি কেফেটেৰিয়াতে সন্ধ্যাই সকলোকে বাৰ্থডেৰ পাৰ্টীটো দিছিল। তাত থাকোঁতেই মাকে ফোন কৰিছিল তাইলৈ,

"হেপ্পী বাৰ্থদে ৰুণ। মই বৰ নামঘৰতে শৰাই এভাগ দিছোঁ আজি। তই ভালপোৱা পায়সো বনাইছিলোঁ।"

চকুযোৰ সজল হৈ পৰিছিল সন্ধ্যাৰ। হয়তো মাকৰো। জন্মদিন বুলিলেই বৰনামঘৰত শৰাই আৰু মাকৰ হাতৰ পায়সকণ নহ'লে যে নচলেই তাইৰ। কিন্তু আজি! মাকৰ আগত একো নোহোৱা যেন দেখালেও চেৰেং চেৰেংকৈ মনত পৰি আছে সন্ধ্যাৰ আজি ঘৰখনলৈ। অৱশ্যে ইয়াৰ এই আপোন মানুহ খিনিৰ মৰমে দুখবোৰ পাতলাইছিল। সকলোৰে মৰমৰ মাজেৰে জন্মদিনৰ সন্ধিয়াটো খুব সুন্দৰকৈ পাৰ হৈছিল সন্ধ্যাৰ।

জন্মদিন শেষ কৰি সকলো সোনকালেই হোষ্টেললৈ উভতিছিল সকলো। presentationবোৰ শেষ হোৱাই নাছিল। গতিকে কাৰো আজৰি নাই। তাৰ মাজতো যে সকলোৱে সন্ধ্যাৰ জন্মদিনটো পাতিলে সেইটোৱে যথেষ্ট তাইৰ বাবে। হোষ্টেল গৈ পোৱাৰ পাছতে এবাৰ সিদ্ধাৰ্থ দা আহিছিল। তাইলৈ ডাঙৰ কেডবেৰী চেলিব্ৰেচন এটা আনিছিল। বেচেৰাই কামৰ হেঁচাত দিনটো পাহৰিয়ে গৈছিল। সন্ধ্যাই বুজি পায়। প্ৰথমে অলপ অভিমান কৰি দেখুৱালেও পিছত ভাল দৰেই কথা পাতিছিল তাই। সিদ্ধাৰ্থৰ হাততে শিখা বাইও তাইৰ বাবে পুতলা এটা দি পঠাইছিল। হ'বলগীয়া বৌৱেকৰ ননদৰ প্ৰতি মৰম। আঁকোৱালি লৈছিল তাই পুতলাটো। দুই এষাৰ কথা পাতি সিদ্ধাৰ্থ যোৱাৰ পাছতে আকৌ presentationৰ কামত লাগিছিলহি সন্ধ্যা।

কাঞ্চনজংঘাৰ পুলটোত অকলশৰে বহি আছে ময়ূঁৰ। সময় ৰাতি ন মান বাজিছিল হ'বলা। ৰাস্তাত বৰ বেছি মানুহ নাই। ফিল্ডতহে খেলি আছে দুটা মানে। এনেতে অভিমন্যু বহিল হি তাৰ ওচৰত। কাণৰ হেডফোন ডাল খুলি মাত দিলে ময়ূঁৰে,

"বাৰ্থদে শেষ?"

"উম, সন্ধ্যাৰ বাৰ্থদে শেষ।"

Kaushik

অভিমন্যুৰ কথাত শেঁতা হাঁহি এটা মাৰিলে ময়ূঁৰে। অভিমন্যুয়ে তাৰ কান্ধত হাত দি কৈছিল,

"কিয় এনেকুৱা অ' তই? কিয় ইমান বেছি উদাসীন জীৱনটোৰ প্ৰতি? নিজৰ জন্মদিনটো এনেকৈ লুকুৱাই নে মানুহে? সন্ধ্যাৰ লগতে আজি তোৰো যদি বাৰ্থদে চেলিব্ৰেট কৰিলোঁ হয় বেলেগৰ নহ'লেও মোৰ ভাল লাগিল হয় ভাই। সকলো সন্ধ্যাৰ লগত ব্যস্ত আজি। মোৰ বাহিৰেতো কোনেও নাজানে যে আজি তোৰো জন্মদিন।"

ময়ূঁৰে হাঁহি মাৰি উত্তৰ দিলে,

"তই জান' নহয়। হৈ যাব।"

"কি হৈ যাব? ইমান অকলশৰে কেনেকৈ থাক তই ময়ূঁৰ? ভয় নালাগে তোৰ?"

উত্তৰত ময়ূঁৰে মাত্ৰ হাঁহিলে। অভিমন্যুয়ে আকৌ সুধিলে,

"হাঁহিলি যে?"

অভিমন্যুৰ প্ৰশ্নৰ উত্তৰত সমুখৰ খালী ফিল্ড খনলৈ চাই ময়ূঁৰে নিজক কোৱাৰ দৰেই কৈছিল,

"ৰাতিক সুধিছ এন্ধাৰলৈ ভয় লাগে নে বুলি। হাঁহি নুঠিব নে?"

কিছু সময় কোনেও একো কোৱা নাই। ময়ূঁৰে একেথৰে ফিল্ডখনলৈ চাই আছে। অভিমন্যুয়ে মাত্ৰ চাই ৰৈছিল তালৈ।

"ব'ল" হঠাৎ অভিমন্যুয়ে থিয় হৈ ক'লে।

"ক'লৈ?"

"ব'ল চোন। যাওঁ এফালে।" অভিমন্যুয়ে হাতত ধৰি লৈ আনিছিল ময়ূঁৰক। পাটকাইৰ ভিতৰত সোমাই অভিমন্যুৰ ৰুম পাইছিল গৈ সিহঁত। ৰুমমেট প্ৰণয় দা তেতিয়া লাইব্ৰেৰীত। অভিমন্যুয়ে পেকেট এটাৰ পৰা সৰু কেক এটা উলিয়াই আনিলে। ময়ূঁৰে অস্বস্তিত ক'লে,

"এইবোৰ কিয় আনিছ অভি? জানই যে মই---"

তাৰ কথা শেষ কৰিব নিদি অভিমন্যুয়ে কৈছিল,

kaushik

"এতিয়াতো আমাৰ বাহিৰে কোনো নাই। তই শপত দি থোৱাৰ কাৰণে কাকো নক'লোও মই। এতিয়া প্লিজ না নক'বি। তোৰ বাৰ্থদে এনেকৈ যাব দিব নোৱাৰো মই। কেক কাট।"

বাধ্য হৈ কেকটো কাটিছিল ময়ূঁৰে। অভিমন্যুয়ে অকলেই গাইছিল,

"Happy birthday to you"

তেনেকৈয়ে সংগোপনে হৈ গৈছিল ময়ূঁৰৰ জন্মদিন। অভিমন্যু আচৰিত হয়, এক আচৰিত সাঁথৰৰ সাগৰ এই ল'ৰাটো।

ৰাতি প্ৰায় এঘাৰটা বাজিছিল। দিনটোত পোৱা উপহাৰবোৰ ছিজিল লগাই শুবলৈ লৈছিল সন্ধ্যাই। অভিমন্যুয়ে দিয়া কিতাপ দেখি মনটো ভৰি গৈছিল তাইৰ। ডং ভৱেন্দ্ৰ নাথ শইকীয়াৰ উপন্যাস সংকলন। সি জানে যে শইকীয়া ছাৰ তাইৰ প্ৰিয় ব্যক্তি। তেখেতৰ গল্প বহুখিনি পঢ়িছে যদিও মৰমৰ দেউতাৰ বাহিৰে বাকী কেইখন পঢ়া হোৱা নাছিল তাইৰ। এতিয়া গোটেই কেইখন একেলগে পাইছে যেতিয়া আৰু কি লাগে। টেবুলৰ ওপৰতে দেখাকৈ থৈ দিছিল তাই কিতাপ খন। লগতে সি দিয়া ম'ৰা পাখিটোও ওলমাই দিছিল বেৰত। পাখিটোৰ তলৰ ফালে আঠা দি বেৰত পৰি নোযোৱাকৈ লগাই দিছিল। শুবলৈ বুলি বিচনাত উঠিছিলহে, এনেতে অনুৰণৰ মেচেজ আহিল,

Kaushik

"Ebar tololoi ahibo pariba ni?"

এইৰাতি খন কি হ'ল ইয়াৰ?

"Kio" তাই দিলে।

"Aha na ebar" অনুৰণৰ কথাত সন্ধ্যা নামি আহিছিল সোৱণশিৰীৰ তললৈ। গেটখনৰ সমুখতে সি ৰৈ আছে। হাতত কিবা পেকেট এটা। তাই ওচৰ পাওঁতেই সেই দীঘলীয়া চাৰিচুকীয়া চেপেটা পেকেটটো তাইলৈ আগবঢ়াই দিলে অনুৰণে,

"Happy birthday"

সন্ধ্যা আচৰিত হৈছিল। দিনটোৰ শেষত তাইৰ বাবে কি উপহাৰ আনিলে সি। তাইৰ মনৰ ভাব বুজিয়ে সি ক'লে,

"আগতে আৰ্ট শিকিছিলোঁ। এনেই আঁকি চালোঁ বহুত দিনৰ মূৰত চাবা চোন।"

কথাখিনি কৈয়ে নৰ'ল আৰু সি। সন্ধ্যাও উভতি আহিল। ৰুম পাইয়ে লগে লগে পেকেটটো খুলিলে তাই। খুলিয়েই আচৰিত হৈছিল। অনুৰণে দিয়া উপহাৰটো আছিল এখন গ্লাছ পেইন্টিং। আৰু পেইন্টিংখন আছিল এটা ম'ৰা পাখিৰ। ইমান ধুনীয়া পেইন্টিং দেখি সন্ধ্যাৰ থৰ হৈ গৈছিল চকু। এনে লাগিছিল যেন আইনাৰ ভিতৰত কোনোবাই সঁচাসঁচি পাখি এটাহে ভৰাই থৈছে। পেইন্টিং খনৰ তলতে সৰু সৰু আখৰেৰে লিখা আছিল,

"জীৱনে যদি কেতিয়াবা ৰং সানিবলৈ এৰে,

তাতো যেন তুমি থাকা ম'ৰাৰ পাখিৰ দৰে"

তলতে তাৰ নামটো, অনুৰণ। সন্ধ্যাই কি বুলি ধন্যবাদ দিব ভাবি পোৱা নাছিল। ফোন লগালে অনুৰণলৈ,

"ৰণ, কি ক'ম তোমাক? থেংক ইউ চ' মাচ্চ। ইমান ধুনীয়া লাগিছে পেইন্টিংখন। মানে সঁচাকে মই কি বুলি কওঁ বুজি পোৱা নাই। বেষ্ট গিফ্ট এইটো মোৰ বাবে।"

"থেংক ইউ সন্ধ্যা।"

সন্ধ্যাই আকৌ ক'লে,

"বাই দা ৱে, ইমান টেলেন্টেড বুলি জনা নাছিলোঁ আকৌ আপোনাক।"

"তথাপি অহংকাৰ নাই দেখিছা।"

তাৰ কথাত হাঁহি উঠিছিল তাই। এই যে ল'ৰাটো নহয়।

ফোনটো থৈ সন্ধ্যাই ৰুমটোত তাইৰ বিচনাৰ কাষৰে ৱালখনৰ ওপৰত থকা গজালটোত ওলমাই দিছিল পেইন্টিং খন। মনটো কিবা এটা অনামী অনুভৱে ভৰাই তুলিছিল তাইক। বিচনাত শোঁওতে সন্ধ্যাই দেখিছিল এফালে য'ত ফেনৰ বতাহত এই সৰোঁ এই সৰোঁকৈ কঁপি কঁপি উৰি আছিল অভিমন্যুয়ে দিয়া ম'ৰা পাখিটো, আনফালে বতাহৰ মাজতো স্থিৰ হৈ ৰৈ আছিল অনুৰণে আঁকি দিয়া ময়ূঁৰ পাখিৰ কেনভাছ খন।

(আগলৈ)

kaushik

#নিৰিবিলি

Part 70

জন্মদিনৰ পাছতেই আকৌ আগৰ দৰে ব্যস্ত হৈছিল সন্ধ্যাহঁত। মাজতে এটা পৰীক্ষাও হৈ গ'ল। এতিয়া একেবাৰে ছেমিষ্টাৰৰ ফাইনেল পৰীক্ষাটোহে বাকী আছে গৈ। মে'ৰ শেষৰ ফালে অনুষ্ঠিত হ'ব সেইটো। তাৰ মাজতেই ষোল্ল মে'ত ঘোষণা হ'ল নিৰ্বাচনৰ ৰিজাল্ট। যদিও বাহিৰৰ জগতখনে তেজপুৰ বিশ্ববিদ্যালয়ৰ ভিতৰত একো প্ৰভাৱ নেপেলাই তথাপি এই ৰিজাল্টটোৰ খবৰ সকলোৱে পাইছিল। আন নহ'লেও এমিনিটীৰ ঘূৰণীয়া টেবুলত গৰম চাহৰ ধোঁৱা উৰি থকা আড্ডাবোৰত, মহামায়াৰ বকুল দাৰ বিশ্লেষণ বোৰত নতুবা হোৱাটচ এপৰ গ্ৰুপবোৰত সৰৱ আলোচনা চলিছে। সকলোৱে আশা কৰা দৰেই এইবাৰ পোন্ধৰ বছৰীয়া শাসনক উফৰাই ঘৰুৱা দলটোৰ লগতে মিত্ৰতা কৰি নতুন চৰকাৰ গঠন কৰিছে অন্যটো দলে। মূখ্যমন্ত্ৰীৰ আসনত এসময়ৰ সকলোৰে মৰমৰ ল'ৰাজন। স্বস্তিৰ নিশ্বাস এৰিছিল সকলোৱে, ঘৰৰ ল'ৰাটো আছে যেতিয়া এইবাৰ চিন্তা নাই। এইবাৰ খিলঞ্জীয়াৰ চৰকাৰ। ফেচবুকততো ফটোও শ্বেয়াৰ হৈছে ক'ৰবাত হেনো বাংলাদেশী দুটা মানে ঘৰ এৰি পলাইছেই। মুঠতে বাংলাদেশী, বানপানী, নিবনুৱাৰ পৰা আৰম্ভ কৰি মাজুলীৰ দলঙলৈকে একো সমস্যা বাদ নপৰে এইবাৰ।

পাটকাইৰ কমন ৰুমত হুলস্থুল। টিভিত ইলেকচনৰ ৰিজাল্ট চাই দুটা মানৰ কি নাচ। এইবোৰ উৎপাতত অভিমন্যু অবিচ্ছেদ্য অংগ। পাটকাইৰ বিনয় খুৰাৰো ফুৰ্তিত তৎ নাই। খুৰাহঁতৰ চতিয়াত পচন্দৰ প্ৰাৰ্থীজনৰ জিকাৰ আনন্দত তেওঁ কাম এৰি অভিমন্যুহঁতৰ লগতে টিভি ৰুমত কথা মহলা মাৰিও আছেহি।

"এইবাৰ চাবা বুইছা বোপা, বাংলাদেশীৰ ৰক্ষা নাই। নেগুৰ দাঙি দৌৰিব বাপ্পেকে।"

খুৰাৰ কথাত গোটেই কেইটাৰে হাঁহি। এৰা, এই এটা সমস্যাৰ বাবেই কম থন ভুগিলে নে অসমে? তিৰাশীৰ কথাবোৰ ভাবিলেই বুকু কঁপি উঠে। এতিয়াও অসমীৰ বুকুত থকা ৮৫৫ জনৰ তেজৰ দাগ মচ খোৱাই নাই। বিনয় খুৰাই আৱেগিক হৈ সেইবোৰ কথাই কৈছিল অভিমন্যুহঁতৰ আগত। কিদৰে মিলিটেৰীৰ ভয়ত সন্ধিয়া হ'লেই গেজেপনি হাবিত সোমাবলগীয়া হৈছিল। নিজৰ বৰঘৰত বিদেশীৰ দপদপনি কোন জন অসমীয়াই সহ্য কৰিব পাৰে? খুৰাহঁতেও কৰা নাছিল। ওলাই আহিছিল সদলবলে। এজন এজনকৈ মৃতদেহবোৰে শাৰী পাতিছিল। সকলোৱে আশা কৰিছিল এই বলিদান অথলে নাযায়। কিন্তু গ'ল। সেই বলিদানক কোনোবাই যদি ভৰিৰে মোহাৰিলে, কোনোবাই তাকেই

Kaushik

মোহৰা বনাই নিজৰ আসন সজালে। কিন্তু অসম সেই একেই হৈ থাকিল। আজি অত বছৰৰ মূৰত ৰাইজে এটা আশাৰ কিৰণ দেখিছে। বিশ্বাসো কৰিছে। গাঁৱৰ বুঢ়া মেথাই চুঁচৰি হ'লেও ভোটটো দিবলৈ গৈছে। মৰাৰ আগত হ'লেও বিদেশীমুক্ত অসমখন চোৱাৰ দুৰ্বাৰ হেঁপাহ। হ'ব, এইবাৰ সকলো পূৰ হ'ব। অতখন ৰাইজৰ মৰমবোৰ, আদৰবোৰ তেওঁলোকে পাহৰি যাব নে? নাযায়, কেতিয়াও নাযায়।

ৰিজাল্টৰ খবৰ পাই আমাৰ সন্ধ্যাও মহামায়া বুক ষ্টল পালেগৈ। এই দিনটোত আড্ডাৰ বাবে মহামায়াতকৈ উচিত স্থান আৰু কি হ'ব। গৈ দেখে তাত আড্ডা জমিয়েই আছে। হিমাদ্ৰী বা, চন্দ্ৰালী বা, ময়ূঁৰ, অম্লান দা চব তাতেই আছে। যেন ইলেকচনৰ ফলাফলক লৈ পতা কোনোবা চেনেলৰ টক শ্ব' হে। মডাৰেটৰৰ কাম কৰি আছে স্বয়ং বকুল দাই। সন্ধ্যা সোমোৱাৰ লগে লগেই ক'লে,

"কোৱা সন্ধ্যা ৰাগিণী, তোমাৰ অনুভৱ কোৱা। এইবাৰতো আৰু আমাৰ চৰকাৰ। বোলে সকলোৰে আনন্দ---"

পিছৰ খিনি সকলোৱেই সুৰ লগাই গায়েই দিলে। মানুহবোৰৰ এই আনন্দ খিনিত যেন কাৰো গ্ৰহণ নালাগক। সেয়াই ভাবিলে সন্ধ্যাই। প্ৰশান্ত দাই চাহ আনিছিলেই সকলোলৈকে। চাহ খাই খাইয়ে সকলোৱে কথা পাতি গ'ল। ময়ূঁৰেই ক'লে প্ৰথমে,

"নগাঁৱৰ বৰদোৱাৰ বহু মাটি অবৈধ বাংলাদেশীয়ে বেদখল কৰি থৈছে। এইবাৰহে যদি সেইখিনি মুকলি হয়।"

লগে লগেই হিমাদ্ৰীয়ে মাত দিলে,

"ইফালে কাজিৰঙা, তাততো অৱস্থায়েই নাই।"

মাজুলীৰ অম্লান দাই হুঁমুনিয়াহ এটা পেলাই ক'লে,

"আমাৰ দলং খন হ'বগৈ বুলি চবেই আশা কৰি আছে। নহ'লে কিমান দিন আৰু সেই ফেৰী কেইখনৰ ওপৰত চাৰ্কাছ নাচি থাকিম?"

কথাটো নোহোৱাও নহয়। মানুহ মাজুলীলৈ যায়, ফেৰীত গৈ ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য উপভোগ কৰে আৰু দুদিন পিছত ঘৰলৈ উভতি আহে। কিন্তু দলং এখনৰ অভাৱৰ যাতনা অকল মাজুলীৰ মানুহ খিনিয়েহে বুজে। আনৰ বাবেতো মাজুলী অকল ফুৰাৰ ঠাই। কিন্তু তাৰ বাসিন্দা সকলে জানে বেমাৰ এটা হ'লেই যোৰহাটলৈ আহিবলৈ ফেৰীৰ বাবে ৰৈ থকা কষ্ট কি। কিন্তু এইবাৰ সমস্যা সমাধান নোহোৱাৰ প্ৰশ্নই নুঠে।

Kaushik

স্বয়ং মূল মানুহজনেই মাজুলীৰ পৰা জিকিছে যিহেতু। সকলোৱে শেষত সন্ধ্যাই মাত দিলে,

"বকুল দা, কথাবোৰ ভবাৰ মতে হ'বগৈ নে বাৰু?"

এটা দীঘল উশাহ টানি বকুল দাই কৈছিল,

"ইতিহাসৰ উদাহৰণবোৰ বৰ ভাল নহয় অ' আই। তথাপি আশা আৰু বিশ্বাস কৰিছোঁ ভাল হ'ব এইবাৰ।"

"নিশ্চয় হ'ব। এইবোৰৰ মাজতে আমাৰ অসমীয়া ডিপাৰ্টমেণ্টটোও আহিলেই হয় আৰু। বেলেগে সুধিলে লাজেই পাওঁ বুইছে নে বকুল দা।" চন্দ্ৰালীয়ে কথাখিনি কোৱাৰ লগে লগেই হিমাদ্ৰীয়ে টপৰাই ক'লে,

"এইটো মেইন। অসমীয়া ডিপাৰ্টমেণ্ট লাগিবই মুঠতে এইবাৰ।"

সঁচাকৈ একৈছ বছৰ হৈ যোৱাৰ পাছতো অসমৰ মাজমজিয়াত থকা বিশ্ববিদ্যালয় খনত অসমীয়া বিভাগটোৱেই নাই। আহিব আহিব বুলি শুনিহে আছে ইমান দিনে। এইবাৰ সেইটোও আশা কৰিছে সিহঁতে। হয়তো সকলো ভাল হোৱাৰ দৰেই ইয়াত ভাল খবৰটোও কিজানি পাইয়েই।

Kaushik

সন্ধ্যাহঁতৰ মাজতে এটা পৰীক্ষাও হৈ গ'ল। পৰীক্ষা শব্দটোলৈ থকা ভয়টো তেজপুৰ ইউনিভাৰ্চিটীয়ে মোহাৰি মাৰিছিল। presentation বোৰ শেষ হৈছিল যদিও বাকী আছিলগৈ এখন পেপাৰ। সেইখনৰ মেম ছুটীত আছিল বাবে হোৱা নাছিল। সিদিনা মেম আহিয়েই গ্ৰুপ ভগাই দিলে। সন্ধ্যাহঁতৰ গ্ৰুপত আছিল অভিমন্যু, অনুৰণ, ভাস্বতী আৰু পল্লৱী। ক্লাছৰ সকলোতকৈ ছিৰিয়াছ ছোৱালী ভাস্বতী আৰু পল্লৱী থকাৰ বাবেই সন্ধ্যাহঁতে আৰু বেছি মনোযোগেৰে কৰিছিল কামখিনি। সন্ধ্যাৰ ভাগত ইন্ট্ৰডাকচন আৰু কংক্লোজন খিনি পৰিছিল। লাইব্ৰেৰীৰ পৰা কিতাপ চাই আৰু অলপ ইন্টাৰনেটৰ পৰা লৈ বনাইছিল তাই সেইখিনি। অভিমন্যুক দেখুৱাইও লৈছিল।

সেইদিনা শুক্ৰবাৰ। গোটেই ক্লাছটোৱেই Presentation ল'ব। মেমে দুটা ক্লাছ লৈছে। এটা ৰাতিপুৱা নটাতে আৰু আনটো আবেলি চাৰিটাত। ন বজাৰ ক্লাছটোত শেষ নোহোৱা খিনিৰ আবেলি ল'ব। এইটো কথা শুনাৰ পৰা হে সন্ধ্যাৰ মনটো বেয়া। আচলতে আজি সিহঁতৰ গাঁৱত বিহু। "বহাগী বিদায়"। তাই বৰ আশা কৰি আছিল বিহুখনলৈ

যাব বুলি। কিন্তু যদি আবেলি হয়, তেন্তে কি হ'ব। ক'ত যাব পাৰিব তাই? ধেৎ, তাইৰ লগতে এনেকুৱা কিয় হয় বাৰু? কি বুলি ক'ব তাই ঘৰত? আগৰ বাৰ ভাগৱত পাঠটো যাব নোৱাৰিলে আৰু এইবাৰ বিহুটো! আৰু মেমকনো কোন খন মুখেৰে কয় যে তাইৰ গাঁৱত বিহু আছে কাৰণে Presentation পাছত দিব বুলি? নাই, নহ'ব তাইৰ যোৱা।

ৰাতিপুৱাই মাকে ফোন কৰিছিল,

"ৰুণ, কেইটাত পাবিহি? দুপৰীয়া ভাত খাবি নে?"

কাষৰ পৰা পাপৰিয়ে চিঞৰিছিল,

"ৰুণজুন, সোনকালে আহিবি। তোলৈ জেতুকা পিচি থৈছোঁ।"

উজাই অহা কান্দোনখিনি বুকুতে চেঁপি সন্ধ্যাই কৈছিল,

"মোৰ presentation আছে অ' মা। যদি আগবেলা নহয় তেন্তে পিছবেলালৈ হ'ব। তেতিয়া নোৱাৰিম যাব।"

মাকৰ হুঁমুনিয়াহ সৰা শব্দটোৱে সন্ধ্যাৰ বুকুখনত বেজীৰে খুচিছিল। গাঁওখনত কিবা এটা অনুষ্ঠান হ'লে প্ৰত্যেকজনী মাকৰে মন যায় লগত যেন জীয়েকজনী থাকে। সেইবাবেই এনে অনুষ্ঠানবোৰত বিয়া হোৱা ছোৱালী কেইজনীও আহি ওলাইহি। কিন্তু সন্ধ্যাৰ হয়তো সেই ভাগ্য এইবাৰ নাই। কাৰণ মেমে লটাৰী কৰি গ্ৰুপবোৰ মাতিব। তাৰ মাজত যদি সিহঁতৰ সোনকালে নপৰে তেন্তে আবেলিয়েই দিব লাগিব presentation।

ফোনটো থৈ ক্লাছলৈ ওলাল তাই। বাটত লগ পালে অনুৰণ আৰু অভিমন্যুক। লাভ নাই যদিও সিহঁতক কথাটো কৈছিল সন্ধ্যাই। কিজানি কিবা কৰিব পাৰিয়ে। অনুৰণে একো নামাতি মাত্ৰ শুনি আছিল আৰু অভিমন্যুয়ে কথাটো কোনো পধ্যেই নামানে,

"পাগল হৈছ নেকি তই? গাঁৱত বিহু আছে কাৰণে presentation সোনকালে ল'বলে ক'বি মেমক? মেম বাদ দে, গ্ৰুপৰ পল্লৱীহঁতেই মানি নলয়। এনেও সিহঁতে আবেলি দিবলেই ভাল পায়। এতিয়া সৰু ছোৱালীৰ নিচিনা এইবোৰ বাদ দে সন্ধ্যা। কিবা জৰুৰী হোৱা হ'লে বাৰু মইয়ে নিজে মেমক ক'লো হয়। কিন্তু এনেকে যে নোৱাৰোঁ।"

সন্ধ্যাৰ মনটো মৰি গৈছিল। তলমূৰকৈ মাত্ৰ গৈ আছিল তাই। আঁৰ চকুৰে এবাৰ অনুৰণে তাইলৈ চাইছিল যদিও তাই গম পোৱা নাছিল।

Kaushik

Presentation আৰম্ভ হ'ল। প্ৰথমে লটাৰীত ৰাজদ্বীপ, আৰিফ, প্ৰীতিষা, জুৰি আৰু সুনীতাহঁতৰ গ্ৰুপটোৰ নাম ওলাল। প্ৰায় বিছ মিনিট সময় সিহঁতে দিয়াৰ পাছতে আকৌ লটাৰী হ'ল। সন্ধ্যাই মনতে ঈশ্বৰক খাটিলে এইবাৰ যেন সিহঁতৰ নামটো আহে। কিন্তু এইবাৰ আহিল ময়ূঁৰ, সীমা, নিমিষা আৰু বিশ্বজিতহঁতৰ গ্ৰুমটো। ইয়াৰ পাছত আৰু এটা গ্ৰুপেহে দিব পাৰিব। তাৰ পাছতেই বাকী কেইটা গ্ৰুপে আবেলি দিব। এইবাৰো লটাৰী কৰিব লৈছিল মেমে। সন্ধ্যাই এবাৰ অভিমন্যুলৈ চালে। সি চেলাউৰি খোঁপাইহে দেখুৱালে। মেমে কাগজখন তুলিব ধৰোঁতেই হঠাৎ অনুৰণ থিয় হৈ কৈ উঠিল,

"Ma'am, actually I have an appointment with doctor in Mission nursing home in evening. So I have to go and can't be present in evening session. So can you please allow our group to give the presentation now?"

সকলোৱে আচৰিত হৈ অনুৰণলৈ চালে। সকলোতকৈ বেছি আচৰিত হৈছিল অভিমন্যু। অনুৰণৰ আবেলি ডাক্তৰৰ লগত এপইন্টমেন্ট আছে? সি চোন গমেই নাপায়। তাক কোৱাও নাই যে? আৰু কি বেমাৰ হৈছে নো তাৰ? দেখাততো ঠিকেই আছে। ইফালে খং উঠিছিল পল্লৱী আৰু ভাস্বতীৰ। সিহঁতে ভাবি আছিল সকলো গ্ৰুপৰ চাই লোৱা যাওঁক আগতে। তাৰ পাছত সিহঁতে যাতে আৰু ভালকৈ দিব পাৰে। সেইবাবে শেষৰ ফালে পৰাই ভাল। কিন্তু এই অনুৰণে যে চব পণ্ড কৰিব এতিয়া। আনফালে সন্ধ্যাৰ মনত যেন নতুন আশা জাগিছিল। কিন্তু মেমে মানিব জানো? মানিলে। মেমে ক'লে,

"Okay, no problem. Please come with your group members and present."

সন্ধ্যাৰ চকু কেইটা উজলি উঠিছিল। আচৰিত হৈছিল যদিও অভিমন্যু উঠি গৈছিল পোষ্টাৰ কেইখন লৈ। খঙত এবাৰ অনুৰণৰ ফালে চাই ভাস্বতীহঁতো উঠি গৈছিল। প্ৰায় বিছ মিনিট সময়তে শেষ কৰিছিল সিহঁতে presentation টো। তাৰ লগতেই ক্লাছটো শেষ। মেম ওলাই যোৱাৰ পাছতে ভাস্বতীয়ে অনুৰণক সুধিলে,

"কি মানে অনুৰণ? আমি কৈছিলো না ছেকেণ্ড হাফত পৰিলে ভাল। গতিকে এতিয়াই কৰাৰ কি দৰকাৰ আছিলনো?"

অনুৰণে তাৰ গহীন সুৰটোৰে কৈছিল,

Kaushik

"আই হেভ এ' জেনুইন ৰিজন। বেমাৰ মোৰ। আৰু আমাৰ preparation টো কম্প্লিট হৈছিলেই। গতিকে এতিয়াই দিয়াত আপত্তি কি?"

অনুৰণৰ এইটো সুৰত প্ৰত্যুত্তৰ সাধাৰণতে কোনেও দিব নোৱাৰে। আচৰিত গহীনতা এটা থকা এই মাতটোত ভাস্বতীহঁতো নিমাত হৈ আঁতৰি গ'ল। মাত্ৰ অভিমন্যুয়ে এবাৰ সুধিছিল,

"তোমাৰ কি সঁচাকৈ বেমাৰ নেকি?"

উত্তৰত হাঁহি এটা মাৰি "অঁ" বুলি কৈ আঁতৰিছিল সি।

ক্লাছ কেইটা শেষ হোৱাত সন্ধ্যা প্ৰায় দৌৰি যোৱাৰ দৰেই গৈ ৰুম পাইছিল গৈ। লৰালৰিকৈ কাপোৰৰ বেগ এটা লৈয়ে ওলাই গৈছিল তাই। সময় নাই ৰ'বলৈ। তাইতো যাব পাৰিব বুলি ভবাই নাছিল। ভাগ্যে অনুৰণে---। অনুৰণৰ কথা মনলৈ আহোঁতেহে তাইৰ মনত পৰিল, তাৰ বা কি বেমাৰ হৈছে। ইউনিভাৰ্চিটী বাছত বহি থাকোতেই তাই ফোন এটা লগালে তালৈ।

"ঐ, কি বেমাৰ হৈছে তোমাৰ?"

"এই অলপ জ্বৰ।"

"জ্বৰ যদি ইয়াত হেল্থ চেন্টাৰ তেই দেখাব পাৰা চোন। মিছন কিয় যাব লাগে?"

সন্ধ্যাৰ প্ৰশ্নত ওলোটাই অনুৰণে আকৌ সুধিলে,

"ঘৰ গ'লা নে নাই তুমি?"

"যাব ওলাইছোঁ। বাছত আছোঁ।"

"ঠিকে আছে। গৈ পাই ক'বা।"

সন্ধ্যাৰ ওঁঠত হাঁহি এটাই ঢৌ খেলিছিল। "গৈ পাই ক'বা" ; সদায় ঘৰলৈ যোৱাৰ সময়ত সি এইটো কথা ক'বই তাইক। ভাল লাগে এই সৰু সৰু মৰমৰ চিন্তাবোৰ।

ঘৰত সন্ধ্যাক দেখি আটাইৰে ফুৰ্তি। কোনে পাই আৰু? নাহিব বুলি ভাবি আছিল যদিও তাই গৈ পাওঁতে যেন পাপৰিহঁতৰ ফুৰ্তিৰ সীমা নাই। মাকে এবাৰ সুধিছিল অৱশ্যে,

Kaushik

"কেনেবাকৈ তই presentation নিদিয়াকৈ অহা নাইটো?"

তাই হাঁহি মাৰি ক'লে,

"নাই অ' মা। একদম আজৰি হৈহে আহিছোঁ।"

অনুৰণলৈ মেচেজ এটা কৰি ঘৰ পোৱাহিৰ খবৰটো দিয়াৰ পাছতে চুমনে তাইক জেতুকা ঘঁহি দিছিল। সেইবোৰ সামৰি তাই বিহু হোৱা ফিল্ডখন পাইগৈ মানে তাত টেকেলী ভঙা প্ৰতিযোগিতা হৈ আছে। এই খেল ধেমালিবোৰত বোৱাৰী ছোৱালী সকলোৱে সমানে ভাগ লয়। যোৱা বাৰ টেকেলী ভঙাত ৰূপা বৰমাই সোণটি খুৰাৰ মূৰতে কোব মৰাৰ কথা মনত পৰিলেই হাঁহি উঠে। ভাগ্যে বেছি জোৰকৈ পৰা নাছিল বুলিহে।

ছোৱালী আৰু বোৱাৰীৰ মাজত ৰচী টনা খেল হৈছিল। এইখন খেলত খুব জমে। এফালে গাঁৱৰ বোৱাৰী আনফালে জীয়ৰী। আন মানুহৰ লগত সন্ধ্যাৰ মাকহঁতো গৈছিল, আনফালে বাকী ছোৱালীবোৰৰ লগত সন্ধ্যা নিজেই। ৰচী টনা টনিত চিঞৰ বাখৰ কৰি হাঁহি হাঁহি অৱস্থা নাই। সন্ধ্যাই ভাবিছিল, ভাগ্য ভাল যে তাই আহিব পাৰিলে। এই যে চিনাকি মানুহখিনিৰ সৈতে অকণমান ফূৰ্তি, অকণমান হাঁহি এইয়াও জানো জীৱন নহয়?

ইয়াৰ পাছতে মাকৰ মুগা কাপোৰ সাজ পিন্ধিয়েই মুকলি বিহুত হেঁপাহ পলুৱাই নাচিছিল তাই। ৰাতিটো গায়কৰ সংগীতানুষ্ঠানত পাপৰিহঁতৰ লগত ৰাতিপুৱালৈকে চিঞৰি চিঞৰি কঁকাল ঘূৰাইছিল। গাঁৱৰ বিহুখনত হেঁপাহ পলুৱাই নাচি বাগি ফূৰ্তি কৰি সন্ধ্যা আকৌ ইউনিভাৰ্চিটী পাইছিলহি।

সময়বোৰ পাৰ হৈছিল খৰকৈ। এতিয়া ফাইনেল পৰীক্ষালৈ মাত্ৰ দুই কি এক সপ্তাহ মানহে বাকী। কেনেকৈ যে এটা বছৰ পাৰ হ'ল গমকে নাপালে সিহঁতবোৰে। চাৰিওফালে ফেয়াৰৱেলৰ বতাহবোৰ আৰম্ভ হৈছিল। কিন্তু সোৱণশিৰীৰ ফেয়াৰৱেলৰ আয়োজনৰ কথা ভাবিলে যে সন্ধ্যাৰ বুকুখন কঁপি যায়। চিঞৰি চিঞৰি যেন কান্দিব এনে লাগে। বিদিশা বাহঁতৰ অবিহনে সোৱণশিৰীখন কেনেকুৱা লাগিব বাৰু? কংকনাহঁতে লাহে লাহে যা যোগাৰ কৰি আছিল ফেয়াৰৱেলৰ।

Kaushik

সন্ধ্যা আকৌ এই কেইদিন ৰাতি ৰাতি লাইব্ৰেৰীলৈ যাবলৈ লৈছে। বাৰ বজাতহে আহে। ৱাৰ্ডেনৰ পৰা লেট এন্ট্ৰী উলিয়াই লৈছে তাই। পঢ়াৰ ক্ষেত্ৰত ৰুমত অসুবিধা নাই যদিও লাইব্ৰেৰীৰ পৰিৱেশটোত বেছিকৈ পঢ়া হয়। আৰু তাতকৈ আচল কথাটো হ'ল লাইব্ৰেৰীত তাইৰ লগত অভিমন্যুও থাকে। গতিকে তাৰ লগত তাইৰ পঢ়াও হয় আৰু কিছু সময় কটোৱাও হয়। তাই অসুবিধা পোৱাখিনি খুব সুন্দৰকৈ বুজাই দিয়ে অভিমন্যুয়ে। ঘৰৰ পৰা আহি তাই দুদিন মান অভিমন্যুৰ ওচৰত মুখখন ফুলায়েই আছিল। সি সোধোতে কৈছিল,

"মোৰ ভাল লগা বেয়া লগাৰ তোৰ কোনো হিচাপেই নাই। সেইদিনা অনুৰণৰ বেমাৰ নোহোৱা হয় মোৰ যোৱাই নহ'লহেঁতেন।"

অভিমন্যুৰ হাঁহি উঠিছিল সন্ধ্যাৰ মাজৰ সৰু ছোৱালীজনী দেখি। মৰমেৰে বুজাইছিল সি,

"চা সন্ধ্যা, ইয়াত যিহেতু পঢ়িবলৈ আহিছ অকণমানতো এৰাধৰা কৰিবই লাগিব ন? তোৰ কিবা সঁচাকৈ অসুবিধা থকাহেঁতেন মই কথা পাতিলোঁ হয় মেমৰ লগত কিন্তু তইয়ে ভাব বিহু চাবলৈ যোৱাৰ অজুহাতটো উচিত জানো? বিহুটো তই অহা বছৰলৈও পাবি। কথাবোৰ অলপ ডাঙৰ হৈ ভাবিবলৈ লচোন।"

হয়, সন্ধ্যাইও বুজিছিল। কিন্তু কি কৰিব? তাইৰ এই চঞ্চল মনটোক যে বুজাব নোৱাৰে। ঘৰৰ পৰা আহি এবাৰ অনুৰণক লগ কৰি তাৰ খবৰো লৈছিল তাই। সিদিনা পাটকাইৰ সমুখতে লগ পালে তাক। সি ভাল পাইছে হেনো ডাক্তৰক দেখুৱাৰ পৰা। সন্ধ্যাই হাঁহি হাঁহি কৈছিল,

"তোমাৰ এই বেমাৰটোৰ কাৰণেই এট লিষ্ট মই ঘৰলৈ যাব পাৰিলোঁ।"

অনুৰণে মাত্ৰ মিচিকিয়া হাঁহি এটাৰে তাইলৈ চাইছিল। এই মাত্ৰ হাঁহিৰ বাবেই গোটেই পৃথিৱীৰ সৈতে যুঁজিব পাৰে সি। সিহঁতৰ কাষতে থকা নাহৰ জোপাৰ পৰা পাতৰ আঁৰত লুকাই থকা নাহৰ পাহৰ পৰা যেন পাহি এটি সৰিছিল।

সেইদিনা ৰাতি বাৰটাত লাইব্ৰেৰীৰ পৰা সিহঁত আহি আছিল। সন্ধ্যাক সোৱণশিৰীত থৈ অভিমন্যু পাটকাইলৈ যায়গৈ। ৰাতি চাইকেল চোৰ হোৱাৰ ভয়ত খোজকাঢ়িয়ে আহে। ৰাতিৰ নিৰ্জনতাৰ মাজত এখোজ দুখোজকৈ কথা পাতি পাতি আহি আছিল সিহঁত।

Kaushik

ষ্ট্ৰীট লাইটৰ হালধীয়া পোহৰে যেন এক বাখৰুৱা ৰং সানিছিল। ইউনিভাৰ্চিটীৰ মাজনিশাবোৰৰো এক অন্য মায়া আছে। নিশা যিমানেই গভীৰ হয়, মৌনতাৰ কোলাহলো যেন সিমানে তীব্ৰ হয়। সোৱণশিৰীৰ সমুখত ৰৈ কথা পাতি আছিল সিহঁতে। অভিমন্যুয়ে কিছু ছিৰিয়াছ হৈ কৈছিল,

"তোক এটা কথা কওঁ সন্ধ্যা?"

"ক আকৌ"

"তই নথকা হ'লে শৰ্মিষ্ঠাৰ পৰা মই মুভ অন কৰিব নোৱাৰিলোঁ হয় চাগে।"

"হ'ব দে চোন। এতিয়া সেইবোৰ কথা নুলিয়াবি।"

"নাই, এতিয়া মোৰ একো ফৰক নপৰে। তই আছ যে।"

সন্ধ্যাই মাত্ৰ হাঁহিছিল। অভিমন্যুয়ে এবাৰ তাইৰ চকুলৈ চাই সুধিলে,

"এটা কথা সঁচাকৈ কচোন।"

"কি কথা?"

"আমাক যে এই বেলেগে ইমান জোকাই, তোৰ কেনেকুৱা লাগে?"

সন্ধ্যা অপ্ৰস্তুত হৈছিল অলপ অভিৰ প্ৰশ্নটোত। কেনেকুৱানো লাগে তাইৰ? ভাল লাগে বুলি ক'ব জানো? নে লাজ লাগে বুলি? তাইৰতো ভাল আৰু লাজ দুইটাই লাগে। একো নোকোৱা দেখি অভিমন্যুয়ে আকৌ সুধিলে,

"নক'লি যে?"

"নাজানো।" সন্ধ্যাই ক'লে।

"মই কিন্তু জানো। ভাল লাগে মোৰ। যাওঁ দে।"

কথাটো কৈয়ে আঁতৰি গৈছিল অভিমন্যু। সি যোৱাৰ ফালে আচৰিত হৈ চাইছিল সন্ধ্যাই। হালধীয়া পোহৰ বোৰৰ মাজত হেৰাই গৈছিল অভিমন্যু। সি কেতিয়াও আগতে তাইৰ লগত এনেকুৱাকৈ কথা পতা নাই। আজি তেন্তে কি হ'ল? নে সি তাইক---? হয় নেকি? তাইতো চাগে তাক---!! ভাৱনাৰ জালখন গুঠি গুঠি সোৱণশিৰীলৈ সোমাই গৈছিল সন্ধ্যা। ৰুমটোত সোমাওঁতেই কাৰেন্ট গ'ল। ছেহ, অভি চাগে পাটকাই গৈ পোৱাই নাই। ইয়াত অৱশ্যে কাৰেন্ট বেছি সময় নাকাটে। খুব বেছি

Kaushik

দুই বা তিনি মিনিট। তাৰ পাছতে জেনেৰেটৰ ষ্টাৰ্ট হৈয়ে যায়। মোবাইলৰ টৰ্চটোৰ পোহৰতে ৰুমত কাপোৰ সলালে সন্ধ্যাই। বিদিশা পূৰা টোপনিত। বিচনাত বাগৰি হোৱাটচ এপটো খোলোতে সন্ধ্যাই দেখিলে ক্লাছৰ গ্ৰুপটোত বিনোদে এইমাত্ৰ এটা মেচেজ দিছে,

"KMH r front t kunuba lora etak xaap e khutise"

লগে লগেই জুৰিৰ মেচেজ,

"Ki?? Kun lora?"

বিনোদে আকৌ দিছে,

"Najanu, muk dada ejone call kori koise lora tu henu amar batch r amar logor kunuba. Moi jabo ulaisu he tale. Condition bea bule"

তেজপুৰ ইউনিভাৰ্চিটীৰ কেম্পাছত বান্দৰ আৰু সাপৰ উপদ্ৰৱ সকলোৱে জানে। KMH মানে কাঞ্চনজংঘাৰ ওচৰত সাপে খুঁটিছে কাৰোবাক। ল'ৰাটো সন্ধ্যাহঁতৰ বেটছৰ আৰু পাটকাইৰ। তাৰ মানে? সোৱণশিৰীৰ পৰা পাটকাইলৈ ঘূৰি যাবলৈ কাঞ্চনজংঘাৰ আগেৰেই যাব লাগে। সন্ধ্যাক থৈ অভিমন্যু যোৱা পাঁচ মিনিটো হোৱা নাই। এইকণ সময়ত সি পাটকাইতো নাপাই গৈ। খুব বেছি কাঞ্চনজংঘায়েই পাবগৈ। ইফালে কাৰেণ্ট নাই। তাৰমানে? সন্ধ্যাই লৰালৰিকৈ অভিমন্যুলৈ ফোন লগালে। ৰিং হৈ হৈ কাটি গ'ল। তাই আকৌ লগালে। এবাৰ, দুবাৰ তিনিবাৰ। কোনো উত্তৰ নাই। বুকুখন ধান বনাদি বানিছে সন্ধ্যাৰ। ঠিকে আছে নে অভিমন্যু??

(আগলৈ)

#নিৰিবিলি

Part 71

কেতিয়াবা ভুলবোৰ কিছুমান মানুহৰ ৰূপত আমাৰ জীৱনলৈ আহে ; ভুলবোৰ শুদ্ধ কৰিবলৈ হ'লে সেই সম্পৰ্কবোৰক ত্যাগ কৰিব লাগে। লাগিলে সেয়া তেজৰে হওঁক বা মনৰেই। অভিমন্যুৰ জীৱনলৈও ভুল আহিছিল শৰ্মিষ্ঠাৰ ৰূপত। কিন্তু সন্ধ্যাৰ বুজনিত সি আজি সেই ভুলটোক সম্পূৰ্ণৰূপে আঁতৰাব পাৰিলে। "সন্ধ্যা"- এই নামটো যিমানেই লয় সিমানেই কিবা দোমোজাত ৰৈ যায় অভিমন্যু। কি আছে এই ছোৱালীজনীৰ। সৰু ছোৱালীৰ দৰে কাঞ্চনৰ ডাল জঁপিয়াইও ছিঙিব জানে, অভিজ্ঞ নাৰীৰ দৰে তাক

বুজাবও জানে। তাৰ সৰু কথাতে কান্দিও দিয়ে আৰু তাৰ ঢাল হৈ শৰ্মিষ্ঠাক গালিও দিয়ে। এইবোৰ কাৰণতেই চাগে কোনোবাই লিখিছিল "নাৰী তুমি অনন্যা"। আজিলৈকে অভিমন্যুক কোনো ছোৱালীৰ লগত কোনেও ইমান জোকাই পোৱা নাই যিমান সন্ধ্যাৰ লগত জোকাইছে। লগতে সন্ধ্যায়েই একমাত্ৰ ছোৱালী যাৰ লগত সি ইমান বেছি আপোন হৈ পৰিছে। এই জোকোৱাবোৰ কিয় জানো তাৰ চোন ভাল লাগিবলৈ লৈছে। তাইৰ লগত থাকিলে যেন আৰু জোকাওক এনে অনুভৱ হ'বলৈ লৈছে। আজি সি সন্ধ্যাক সেই কথাটোৱেই খোলা খুলিকৈ কৈ দিলে। হয়তো তাই ইমান ভবা নাই, তাক জোকাবও চাগে পাছত, তথাপি সি কৈ দিলে। অনুভৱক বুকুত হেঁচি থোৱা ধৰণৰ মানুহ অভিমন্যু নহয়। তাৰ মতে সময় থাকোঁতেই ক'ব লগা কথাবোৰ কৈ দিয়া উচিত।

এইবোৰ আং বাং ভাবি ভাবিয়ে অভিমন্যু আহি আছিল পাটকাইলৈ। কাঞ্চনজংঘাৰ ওচৰ পাইছিলহি সি। আঁতৰৰ পৰাই দেখিছে পুলটোত কোনোবা বহি আছে। পিছফালৰ পৰাই চিনি পালে অভিমন্যুয়ে। সি মাতিবলৈ ল'ৰাটোৰ ফালে আগবাঢ়ি যাওঁতেই হঠাৎ কাৰেণ্ট যোৱাত এন্ধাৰ হৈ গৈছিল গোটেইখন। আকাশত কজলা জোনটোৱে কিবা এটা যেন ভয়ংকৰ ৰূপহে লৈছিল। অভিমন্যুয়ে পকেটৰ পৰা মোবাইলটো উলিয়াই টৰ্চটো জ্বলাবলৈ লওঁতেই হঠাৎ এটা চিঞৰ শুনিলে। এটা প্ৰাণকাতৰ চিঞৰ। টৰ্চটো মৰাত সি দেখিলে পুলৰ ওপৰত বহি থকা ল'ৰাটো বাগৰি পৰিছে ৰাস্তাত। একে দৌৰে অভিমন্যু তাৰ ওচৰত পালেগৈ। ওচৰ পাই আচৰিত হৈ থৰ হৈ গৈছিল অভিমন্যু। কাৰণ ৰাস্তাত মুখেৰে ফেন ওলাই পৰি থকা ময়ূঁৰৰ কাষেৰে পাৰ হৈ পুলটোৰ তললৈ নামি গৈছে এডাল সাপ। হয়, সাপে খুঁটিছিল ময়ূঁৰক। হাতত থকা মোবাইলটো খহি পৰিছিল অভিমন্যুৰ। প্ৰাণকাতৰ চিঞৰ এটা আপোনা আপুনি ওলাই আহিছিল,

"ম---য়ূঁ---ৰ"

ৰাস্তাৰে চাইকেল লৈ আহি কেইজন মানে লগে লগে চাইকেল ৰখাই সিহঁতৰ ওচৰ পাইছিল গৈ। কোনোবা কাঞ্চনজংঘাৰ পৰাও ওলাই আহিছিল। মূহুৰ্ততে ঠাই ডোখৰত জুম হৈ পৰিল। কোনোবাই এম্বুলেন্সক ফোন কৰিলে। ময়ূঁৰক পুলটোৰ ওপৰত দাঙি শোৱাই দিলে। অৰ্ধচেতন অৱস্থাত আছিল সি। সোঁ ভৰিটোৰ কলাফুলত স্পষ্ট হৈ আছিল সাপৰ দাঁতৰ ফোট দুটা। অলপ তেজো ওলাইছে। অভিমন্যু কন্দামুৱা হৈ পৰিছিল। অলপ সময়ৰ পাছতে এম্বুলেন্স আহি পালেহি। ততাতৈয়াকৈ ময়ূঁৰক উঠাই লগত অভিমন্যুও গ'ল হেল্থ চেন্টাৰলৈ। এম্বুলেন্সৰ মাত্ৰ এক কি দুই মিনিটৰ ৰাস্তাটোও

এযুগ যেন লাগিছিল অভিমন্যুৰ। হেল্থচেন্টাৰৰ গলীটোতে সোমাওঁতে হালধীয়া ষ্ট্ৰীট লাইটৰ পোহৰত সমুখৰ গছ কেইজোপাৰ ডালবোৰ যেন ভয়ানক হৈ চকুত ধৰা দিছিল। যেন গছত ওলমি আছে একো একোডাল হালধীয়া সাপ। ময়ূঁৰৰ হাতখন চেঁচা পৰিছিল। কাৰোবাক হেৰোৱাৰ ভয়ে বুকুখন মুচৰি নিছিল অভিমন্যুৰ। হেল্থ চেন্টাৰত ডাক্তৰ আহি পাইছিলেই। ময়ূঁৰৰ অৱস্থা দেখি ডাক্তৰ গৰাকীয়েও তাক তাত ৰাখিবলৈ ভয় কৰিলে। যিহেতু ইয়াত এন্টি ভেনাম নাই। লগে লগেই তেওঁ মিছন নাৰ্চিংহোমলৈ ৰেফাৰ কৰিলে। মাত্ৰ কিবা এটা ইনজেকচন দিছিল। "মা" বুলি চিঞৰি উঠিছিল ময়ূঁৰে। অভিমন্যুয়ে সাৱটি ধৰিছিল তাক। ইনজেকচনটো লৈ আকৌ এম্বুলেন্সত উঠিব লওঁতেই অনুৰণো আহি সেইখিনি পাইছিলহি। সি ইতিমধ্যে কাৰোবাৰ মুখত শুনিছিলেই। সেয়ে সোনকালে হেল্থ চেন্টাৰ পালেহি। অভিমন্যুয়ে যেন অলপ সকাহ পাইছিল তাক পায়। অনুৰণো গাড়ীতে যাবলৈ ওলাল। অভিমন্যুক ক'লে,

"তোমাৰ হাতত চাগে পইছাও আনা নাই নহয়, মই লৈ আহিছোঁ। ব'লা।"

তেতিয়াহে অভিমন্যুৰ খেলাইছিল মনত, এক টকাও হাতত নথকাকৈ নাৰ্চিংহোম যাবলৈ লৈছিল সি। বিপদৰ সময়তো ধৈৰ্য ধৰি কিদৰে কি কাম কৰিব লাগে সেয়া অনুৰণৰ বাহিৰে কোনে ভালদৰে জানিব। সিহঁত কেইটা এম্বুলেন্সতে মিছন পালেগৈ। ময়ূঁৰ এতিয়া সম্পূৰ্ণ অচেতন। অধৈৰ্য হৈ পৰা অভিমন্যুক অনুৰণে বুজাইছিল,

"একো নহয় তাৰ। চিন্তা নকৰিবা।"

মিছন পোৱাৰ পাছতে ময়ূঁৰক লগে লগে ইমাৰ্জেন্সী ৱাৰ্ডত ভৰালে। অনুৰণে পইছা দি কৰিব লগা ফৰ্মেলিটি বোৰ কৰিলে। অভিমন্যু বাহিৰতে ৰ'ল। তেতিয়াহে মোবাইলটো উলিয়াওঁতে অভিমন্যুয়ে দেখিলে সন্ধ্যাৰ একৈছ টা মিছকল। হয়তো তাইও কথাটো গম পাইছে। সি কলবেক কৰিলে। সন্ধ্যাই ৰিচিভ কৰিয়েই ফেঁকুৰি উঠিল,

"ক'ত থাক হা তই? ফোনটো উঠাব নোৱাৰ নেকি? জাননে মই কিমান ভয় খালোঁ। কাৰোবাক হেনো সাপে কামুৰিছে।"

"কাৰোবাক নহয়, ময়ূঁৰক।" অভিমন্যুয়ে কঁপা কঁপা মাতেৰে ক'লে।

"কি? ময়ূঁৰক?" সন্ধ্যাও কঁপি উঠিছিল।

"অঁ, মই আৰু অনুৰণে মিছনলৈ আনিছোঁ। এতিয়া ইমাৰ্জেন্সী ৱাৰ্ডলৈ নিছে।" কোনোমতে কথা কেইটা কৈয়ে ফোনটো কাটিলে সি। সৰু ল'ৰাৰ দৰে চকুপানী বৈ

Kaushik

আহিছিল তাৰ। ময়ূঁৰক এই কষ্টত চাই থাকিব নোৱাৰে সি। অনুৰণে তাৰ বাহুত হাত থৈ ক'লে,

"অভিমন্যু, একো নহয় ময়ূঁৰৰ। বিশ্বাস ৰাখা ভগৱানৰ ওপৰত।"

অভিমন্যুয়ে নিজকে কোৱাৰ দৰেই ক'লে,

"চালা ইমান কওঁ তাক। ৰাতিখন ঘূৰি নুফুৰিবি। ইমান বুজাওঁ। নাই নুশুনে। কাণত সেইডাল লগাই ল'ব পাৰিলে গোটেই পৃথিৱী উলট পালট হ'লেও গম নাপায় সি। এইবাৰৰ পৰা সি ৰাতি ৰুমৰ পৰা ওলাওক চোন।"

অনুৰণে আকৌ ক'লে,

"ময়ূঁৰৰ ঘৰত খবৰ এটা দিব লাগিছিল নহয়। ফোন নম্বৰ আছে নি কাৰোবাৰ?"

নাই, ফোন নম্বৰটো বাদেই ময়ূঁৰৰ ঘৰৰ একো খবৰেই নাজানে অভিমন্যুয়ে। সি কেতিয়াও তাৰ ঘৰৰ কথা নকয়। সুধিলেও "কেলে লাগেনো" বুলি আঁতৰি যায়। ময়ূঁৰৰ মোবাইলটো আছে যদিও লক থকাৰ বাবে খোলাটো সম্ভৱ নহয়। সেইবাবেই কাৰোলৈকো একো খবৰ দিব নোৱাৰিলে অভিমন্যুহঁতে। অলপ পাছতে ডাক্তৰ আহি ক'লেহি যে চিন্তাৰ কাৰণ নাই। ময়ূঁৰক এন্টি ভেনাম দিয়া হৈছে। অলপ পাছতে চেঞ্চ আহিব। কিন্তু চৌবিছ ঘন্টাৰ বাবে তাক অবজাৰভেচনত ৰখা হ'ব। সকলো যদি ঠিকেই থাকে কাইলৈ আবেলি মানলৈ ৰিলিজ দিব।

স্বস্তিৰ নিশ্বাস এৰিছিল অভিমন্যুহঁতে। ময়ূঁৰৰ ওচৰ পাইছিলগৈ। চেঞ্চ অহাত লাহেকৈ চকুকেইটা মেলিছিল সি। শেঁতা হাঁহি এটা মাৰি কৈছিল,

"ছৰী অভি।"

"ছৰী কৈ লাভ নাই, হোষ্টেল গৈ লওঁ। চাই থাক কি কৰি আছোঁ মই। কিমান ক'লেও নুশুন কথা।" অভিমন্যুৰ মাতটোত তেতিয়াও অলপ কান্দোনৰ সুৰ। ময়ূঁৰে অস্পষ্ট মাতেৰে কৈছিল,

"বেমাৰতো গালি দিছ মোক।"

অনুৰণে মূৰত হাত ফুৰাই কৈছিল তাক,

"চিন্তা নকৰিবা ময়ূঁৰ, ভাল হৈ যাব।"

kaushik

নাৰ্চিংহোমত অকল এজনক থাকিবলৈ দিয়াৰ বাবে অনুৰণ এম্বুলেন্স খনতে উভতি আহিল। অভিমন্যু ৰৈ গ'ল তাতেই। সন্ধ্যালৈও ফোন এটা কৰি কৈ দিলে সি। অনুৰণ গৈ পোৱাতহে হোষ্টেলৰ দেৱা দা হঁতে ঘটনাটো গম পালে। বাৰু যি হওঁক, ময়ূঁৰ এতিয়া বিপদমুক্ত বুলি শুনি সকলোৱে উশাহ ল'লে।

"Ahi pala neki?"

সন্ধ্যাই মেচেজ দিছিল অনুৰণলৈ। সি আহি ৰুমত সোমাইছিলহে মাত্ৰ। উত্তৰত দিলে,

"O, just humaisu hostel"

"Doctor e ki koise?" সন্ধ্যাই সুধিলে।

"Etia eku problem nai, 24 hrs observation t rakhi kaile evening release dibo"

অনুৰণৰ পৰা কথা খিনি শুনি হে দীঘলকৈ উশাহ এটা টানিলে সন্ধ্যাই। এই সময়খিনি কম ভয় খাইছিল নে? ইফালে জুৰি, প্ৰীতিষাহঁতৰো একে অৱস্থা। ময়ূঁৰৰ শান্ত মুখখনেই মনলৈ আহি আছিল। অলপ সময় ৰৈ সন্ধ্যাই আকৌ দিলে,

"Abhi thike ase ne?"

অনুৰণে লগে লগে দিলে,

"Etia thike ase, othoni olop voi khai asil"

"Anuran, muk ebar loi jaba tale?"

"Thik ase, morning ulaba"

সন্ধ্যাই জানে, অনুৰণে তাইক না নকয়। তাই নিজেও বিচাৰিছে যাবলৈ। অভিৰ এই সময়ত কি অৱস্থা হৈছে তাই বুজিব পাৰিছে ভালদৰে। কাইলৈ পুৱাই যাব লাগিব। সোনকালে টোপনি গ'ল সন্ধ্যা।

ময়ূঁৰৰ বিচনাখনৰ কাষতেই চকী এখনত বহি গোটেই ৰাতিটো পাৰ কৰিলে অভিমন্যুয়ে। ৰাতি মাজে মাজে সাৰ পাই তাক চাই আছিল। কোনোবা সময়ত বিষত সি কেঁকাই উঠে। অভিমন্যুয়ে মূৰটোত হাত ফুৰাই আকৌ টোপনি যোৱাই।

Kaushik

ৰাতিপুৱা ঠিক ছয় মান বজাত ময়ূঁৰৰ ফোনটো বাজিল। সি সাৰ পাই যায় বুলি অভিমন্যুয়েই ফোনটো ৰিচিভ কৰিলে। কোনোবা বয়সস্থ মানুহ এগৰাকীৰ মাত,

"জোন, কালিৰ পৰা ফোন কৰা নাই যে? গা ভালে আছে নে?"

অভিমন্যুয়ে ক'লে,

"মই ময়ূঁৰৰ বন্ধু অভিমন্যুহে। তাৰ কালি এটা এক্সিডেণ্ট হ'ল।"

তাৰ পাছত গোটেই ঘটনাটো কৈছিল সি। মানুহগৰাকীয়ে ফেঁকুৰি উঠিছিল। অভিমন্যুয়ে আকৌ ক'লে,

"এতিয়া চিন্তা কৰিব লগা একো নাই। আপুনি পাৰিলে ময়ূঁৰৰ মাক দেউতাকক খবৰ দি এবাৰ আহিবলৈ কওঁক। তেজপুৰৰ মিছন নাৰ্চিংহোমতে আছে ময়ূঁৰ।"

মানুহ গৰাকীৰ নম্বৰটো ময়ূঁৰৰ মোবাইলত চেভ নথকালৈ চাই তেওঁ যে তাৰ মাক নহয় সেইটোত নিশ্চিত হৈছিল অভিমন্যু। ফোনটো কাটিলে তেওঁ। হয়তো আহিব। ময়ূঁৰ তেতিয়াও টোপনিত। বাথৰুমলৈ গৈ মুখখন ধোলে অভিমন্যুয়ে।

অলপ পাছতে সন্ধ্যা আৰু অনুৰণ আহি পালেহি। অনুৰণে ময়ূঁৰ আৰু অভিমন্যুৰ ব্ৰাছ লৈ আনিছিল। সন্ধ্যাই অনুৰণ নাৰ্চিংহোমত থাকোঁতে অনাৰ দৰেই টিফিনত সিহঁতৰ বাবে হোষ্টেলৰ পৰা লুচি ভাজি লৈ আনিছিল। ময়ূঁৰক শোৱাৰ পৰা জগাই মুখ ধোৱাই সেইখিনি খোৱালে। তাৰ মন নাছিল যদিও সন্ধ্যাহঁতে জোৰ কৰাত খালে। খাই লৈ আজৰি হৈ কথা পাতি আছিল সিহঁতে। সন্ধ্যাই কৈ আছিল,

"সেই কাৰণেই কওঁ হেডফোন ডাল লগালেও অলপ কেয়াৰফুল হৈ থাকিব লাগে।"

ময়ূঁৰে ঘটনাটো কৈছিল। কাৰেণ্ট যোৱাৰ বাবে সাপডাল কোন ফালৰ পৰা আহি তাক কামুৰিলে সি ততেই নাপালে। অনুৰণে ইউনিভাৰ্চিটীৰ হেল্থ চেণ্টাৰৰ কথা কৈছিল। গোটেই কেম্পাছটোত সাপেৰে ভৰ্তি হৈ থকাৰ পাছতো হেল্থ চেণ্টাৰত এণ্টি ভেনম নাই। সঁচাকৈ চিন্তা কৰিবলগীয়া কথা এইটো। ময়ূঁৰৰ খবৰ ল'বলৈ মাজতে দেৱা দাও আহিছিল। অলপ সময় থাকি গ'লগৈ। কিছু সময়ৰ পাছত ডাক্তৰ জন আহি আকৌ এটা টেষ্ট কৰিবলৈ লৈ গৈছিল ময়ূঁৰক। এইটোৰ ৰিজাল্ট ভাল আহিলেই ৰিলিজ ল'ব পাৰিব। তেনেকুৱাতে ময়ূঁৰৰ নম্বৰত আকৌ অথনিৰ মানুহ গৰাকীয়ে ফোন কৰিলে। তেওঁ আহি নাৰ্চিংহোমৰ আগফালে আছেহি। অভিমন্যু আগবাঢ়ি গৈ তেওঁক কেবিনলৈ

Kaushik

আনিলে। ময়ূঁৰ তেতিয়া নাই। পকা চুলিৰ মানুহ গৰাকী খুব বয়সীয়া। ময়ূঁৰৰ মাক যেন লগা নাই। অভিমন্যুয়ে চিনাকি দিলে,

"আমি ময়ূঁৰৰ বন্ধু। মই অভিমন্যু, এয়া অনুৰণ আৰু তাই--"

কথাটো শেষ নহওঁতেই মানুহ গৰাকীয়ে নিজেই ক'লে,

"তুমি চাগে সন্ধ্যা। ময়ূঁৰে তোমালোকৰ কথা মোৰ আগত কৈয়ে থাকে।"

নমস্কাৰ এটি জনাই সন্ধ্যাই সুধিলে,

"আপুনি ময়ূঁৰৰ মা?"

"নহয়, মই তাৰ মাক নহয়।"

মানুহগৰাকীৰ কথাত অভিমন্যুয়ে ক'লে,

"আচলতে তাৰ মাক নহ'লে দেউতাক কোনোবা অহাটো জৰুৰী আছিল নেকি। সিও ভাল পালে হেঁতেন।"

মানুহগৰাকীয়ে হুঁমুনিয়াহ এটা পেলালে,

"ক'ৰ পৰা আহিব? ময়ূঁৰৰ মাক দেউতাক এজনো নাই।"

"নাই মানে? তেওঁলোক কি ঢুকাল?"

অভিমন্যুৰ উত্তৰত মানুহ গৰাকীয়ে যিটো কথা ক'লে সি জোকাৰি সিহঁত তিনিওটাক। তেওঁ কৈছিল,

"ময়ূঁৰৰ মাক দেউতাকৰ কোনো পৰিচয় নাই। সি অনাথ।"

আচম্বিত দৃষ্টিৰে চাই ৰৈছিল সন্ধ্যাহঁতে। কি ক'ব একো বুজি পোৱা নাছিল। মানুহগৰাকীয়ে কঁপা কঁপা মাতেৰে কৈ গৈছিল,

"আজিৰ পৰা প্ৰায় বিছ বছৰ মানৰ আগতে এখন নাৰ্ছিংহোমৰ জাবৰৰ দ'মৰ পৰা উদ্ধাৰ কৰা হৈছিল ময়ূঁৰক। হয়তো কোনোবা পিশাঁচৰ অবৈধ ---"

পিছৰখিনি ক'ব নোৱাৰি ৰৈ গৈছিল তেওঁ। দীঘলকৈ উশাহ এটা টানি আকৌ কৈছিল,

Kaushik

"মই নাৰ্চিংহোম খনতে কাম কৰোঁ। লগতে এখন অনাথ আশ্ৰম চলাওঁ। সেয়ে মই যাৱতীয় কাম খিনি কৰি তাক লৈ আহিছিলোঁ আমাৰ আশ্ৰমলৈ। তেতিয়াৰে পৰা আতোল তোলকৈ ৰাখিছিলোঁ তাক।"

বৈ অহা চকুপানী খিনি আঁচলেৰে মচি অলপ সময় ৰৈছিল মানুহ গৰাকী। সন্ধ্যাই সুধিলে,

"সেইবাবেই ময়ূঁৰ ইমান উদাসীন হৈ থাকে। হয়তো সি নিজৰ মাক দেউতাকক---"

সন্ধ্যাৰ কথাৰ মাজতে মানুহ গৰাকীয়ে আকৌ ক'লে,

"নহয়, সি উদাসীন নাছিল আগৰ পৰা। গোটেই আশ্ৰম খনত দৌৰি ঢাপৰি উৎপাত কৰি ফুৰিছিল। আশ্ৰমৰ সকলোৰে সি চকুৰ মণি আছিল। খুব মৰম কৰিছিল তাক সকলোৱে। কিন্তু---"

দীঘলকৈ উশাহ এটা টানি মানুহগৰাকী আকৌ ৰ'ল। অভিমন্যু সুধিলে, "কিন্তু কি?" তেওঁ আকৌ ক'বলৈ লাগিল,

"পঢ়া শুনাত সি সৱুৰে পৰাই চোকা আছিল। ক্লাছ ফ'ৰ নে ফাইভত আছিল সি। এদিন এটা পৰিয়ালে তাক তুলি ল'বলৈ আহিল। আমি সকলোৱে ভাল পালোঁ। ল'ৰাটোৱে মাক দেউতাকৰ মৰম পাব। ধনী মানুহ ঘৰত সি সুখত থাকিব। তাৰ যাবলৈ মন নাছিল। খুব কান্দিছিল। মই বুজাই বঢ়াই পঠালোঁ। সি গ'ল। তাৰ পাছত---"

মানুহগৰাকীয়ে কথাখিনি শেষ কৰিব নোৱাৰি শব্দ কৰি কান্দি উঠিল। সন্ধ্যাই তেওঁক পানী এগিলাছ আনি দিলে।সেই গিলাছ খাই কিছু শান্ত হৈ তেওঁ আকৌ ক'লে,

"আমি ভবাৰ দৰে নহ'ল। মানুহ ইমান নীচ থাকে বুলি জনা নাছিলোঁ। সেই পৰিয়ালটোৱে আমাৰ জোনক নি ঘৰৰ চাকৰ কৰিলেগৈ। তাৰ কোমল হাত দুখনে তেতিয়াৰে পৰা বাচন ধোৱা, ঘৰ মচা এইবোৰ কাম কৰিবলৈ বাধ্য হ'ল। কৰিব নোৱাৰিলে তাক মাৰধৰ কৰিবলৈ ল'লে। আমি ভাবি আছিলোঁ সি খুব সুখত আছে। কিন্তু সি প্ৰায় পাঁচ বছৰ মান সেই যাতনা ভুগিয়ে কটালে। যিটো ল'ৰাক আমি আশ্ৰমত টানকৈও এষাৰ কথা নকওঁ, সি সদায় গালি শপনি মাৰ পিটৰ মাজতে থাকিব লগীয়া হৈছিল। নিজৰ পঢ়া শুনাৰ লগতে ঘৰৰ সমস্ত কাম, কিমান কষ্ট হৈছিল চাগে তাৰ।"

Kaushik

তেওঁ আকৌ উচুপি উঠিল। অভিমন্যু আৰু সন্ধ্যাতো বাদেই ময়ূঁৰৰ এই কাহিনীত অনুৰণয়েও চকু পানী ৰখাব পৰা নাছিল। মানুহগৰাকীয়ে আকৌ ক'লে,

"সহ্যৰো এটা সীমা থাকে। সি শেষত মেট্ৰিকৰ আগে আগে ঘৰৰ পৰা পলাই আশ্ৰম পালেহি। মোৰ বুকুত সোমাই হুকহুকাই কান্দিছিল সি। তাৰ কাহিনী শুনি গোটেই আশ্ৰমখনে উচুপিছিল। কেতিয়াও ভবা নাছিলোঁ পাঁচ বছৰৰ পাছত সেইটো অৱস্থাত জোনক পাম। তাৰ পাছত আমি যুঁজিলো। আইনী প্ৰক্ৰিয়াৰে সেই পাষণ্ডহঁতৰ ওপৰত কেচ দি সিহঁতক জেললৈও পঠালোঁ। তেতিয়াৰ পৰা ময়ূঁৰ আমাৰ লগতে আছিল। মেট্ৰিক পাছ কৰি হায়াৰ চেকেণ্ডেৰীও পঢ়িলে। তাৰ পাছত এই তেজপুৰত ছিটো পালে। সি পঢ়া স্কুলখনৰ শিক্ষক সকলোৱে মিলি তাৰ পঢ়াৰ খৰছ বহন কৰে। হাত খৰছটো মই যিমান পাৰোঁ দিওঁ। কেতিয়াবা স্কলাৰছিপো পায়। আমি তাক ঘূৰাই পালোঁ হয়। কিন্তু তাৰ সেই আগৰ ৰং ৰহইচবোৰ হেৰাই গ'ল। জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়খিনিয়েই গালি শপনি কষ্টত পাৰ কৰিব লগাৰ বাবেই হ'বলা অনবৰতে ফুৰ্তি কৰি থকা ল'ৰাটো উদাসীন হৈ পৰিল। কথা বতৰাও নোকোৱা হ'ল। মানুহৰ পৰা আঁতৰি থাকিবলৈ ল'লে। হৈ হাল্লা চিঞৰ এইবোৰ সহ্য কৰিব নোৱাৰা হ'ল। তাৰ জীৱনটো একেবাৰে খালী খালী হৈ গ'ল।"

সন্ধ্যাই উচুপিছিল। বেৰখনতে ভেঁজা দি খিৰিকীৰে বাহিৰলৈ চাই ৰৈ আছিল অনুৰণ। অভিমন্যুও জঠৰ হৈ বহি আছিল। এক নিস্তব্ধতা। ময়ূঁৰ ল'ৰাটো এটা সাঁথৰ বুলি সকলোৱে ভাবিছিল সঁচা। কিন্তু এই যে এসাগৰ কাহিনী বুকুত লৈ সি জীয়াই আছে কোনেও কল্পনাও কৰিব পৰা নাছিল। যি সময়ত অভিমন্যুহঁতে মাক দেউতাকৰ বুকুৰ উমত উমলিছিল, সেই সময়ত ময়ূঁৰে জীৱনৰ সৈতে যুঁজিছিল। অভিমন্যুৰ এতিয়া মনত পৰিছে ময়ূঁৰে কিয় কৈছিল "ৰাতিক সুধিছ এন্ধাৰলৈ ভয় কৰানে" বুলি। মানুহগৰাকীয়ে আকৌ নিজক কোৱাৰ দৰেই ক'লে,

"বুজি নাপাওঁ, মানুহে কোনখন অন্তৰেৰে নিজৰ কেঁচুৱাক জাবৰৰ দ'মত থৈ যাব পাৰে। মাকৰ মমতা কি সেয়া সেইজনী নাৰীক সোধক যাৰ বিয়াই নহ'ল। নতুবা বিয়া হোৱাৰ পাছতো মা হ'ব নোৱাৰিলে। বুকুৰ মাজত এই মা শব্দটো নুশুনাৰ কষ্টখিনি হেঁচি ৰখাটো কিমান কষ্ট সেয়া এই সন্তীয়া প্ৰেম কৰা মখাই কি জানিব?"

এইবাৰ অভিমন্যুহঁতৰ ফালে ঘূৰি তেওঁ ক'লে,

Kaushik

"কথাখিনি তোমালোকক কোৱাৰ বাবে বেয়া নাপাবা। তাৰ মুখত তোমালোকৰ কথা শুনি থাকোঁ। সি কৈছে তোমালোকে হেনো তাক খুব মৰম কৰা সেইবাবে ক'লো।"

তাৰ পিছত তেওঁ অভিমন্যুক ক'লে,

"বোপাই, জোনে কৈছিল তুমি হেনো তাক ভায়েকৰ দৰে মৰম কৰা। তাক চাবা। মোৰ জোনে মৰম কি বস্তু বুজিয়ে নাপালে।"

অভিমন্যুয়ে তেওঁৰ হাতকেইটাত ধৰি ক'লে,

"আপোনাক কথা দিছোঁ। ময়ূঁৰক কেতিয়াও অকলে এৰি নিদিওঁ মই। তাক ভাইৰ দৰে ভাবিছিলোঁ আজিলৈকে। এতিয়াৰ পৰা সি মোৰ নিজৰ ভাই।"

"তোমালোকক যে কেনেকৈ ধন্যবাদ জনাম। এইখিনি কথা ময়ূঁৰক কেতিয়াও নক'বা তোমালোকে। মইও এতিয়া তাক লগ নকৰোঁ। নহ'লে সি গম পাব। মাত্ৰ এই টকাখিনি লোৱা। তাৰ চিকিৎসাৰ খৰছ।"

বেগৰ পৰা পইছা অলপ উলিয়াই অভিমন্যুহঁতৰ ফালে আগবঢ়াই দিলে মানুহ গৰাকীয়ে। এইবাৰ অনুৰণে ক'লে,

"পইছা নালাগে। এইখিনি আপুনি আশ্ৰমৰ কামতে খৰছ কৰিব। ময়ূঁৰৰ চিকিৎসাৰ খৰছ আমি তিনিও জনে মিলি দিম।"

সন্ধ্যাইও ক'লে,

"অনুৰণে ঠিকেই কৈছে। পইছাৰ কাৰণে আপুনি একো চিন্তা নকৰিব। আমি আছোঁ। আৰু এইবোৰ কথা আমাৰ বাহিৰে আন কোনেও গম নাপাই। আপুনি চিন্তা নকৰিব ময়ূঁৰক পুতৌ দেখুওৱা কোনো কাম আমি নকৰোঁ। তাক পুতৌ কৰাৰ সাহসো নাই আমাৰ। জীৱনটো সি যিমান খিনি দেখিছে আমি তাৰ আধাও দেখা নাই।"

মানুহগৰাকীয়ে আকৌ উচুপি উঠিল। "ঈশ্বৰে তোমালোকৰ ভাল কৰক" বুলি সিহঁত তিনিও টাকে মূৰত হাত ফুৰাই তেওঁ যাবলৈ ওলাল। অনুৰণে তেওঁক বাছত উঠাই দিবলৈ আগবাঢ়ি গ'ল। অভিমন্যু বহি আছিল বিচনাতে। সন্ধ্যাই তাৰ বাহুত হাত থ'লে,

"অভি"

সি ফেঁকুৰি কৈছিল,

Kaushik

"মনত আছে নে সন্ধ্যা, কেইদিন মানৰ আগত মই শৰ্মিষ্ঠাৰ কথা লৈ কিমান কি ভাবিছিলোঁ। যেন পৃথিৱীৰ আটাইতকৈ ডাঙৰ সমস্যা মোৰ লগতহে হৈছে। কিন্তু এই ময়ূঁৰক চা। ইমান খিনি সহ্য কৰিছে সি জীৱনটোত। চাবি সন্ধ্যা, আজিৰ পৰা মই একো লৈ অভিযোগ নকৰোঁ জীৱনত। আমি যিটো বয়সত পুতলা লাগে বুলি কান্দিছিলোঁ সি মা দেউতা এই শব্দ দুটাৰ বাবে কান্দিছিল বে।"

অভিমন্যুয়ে ৰখাব নোৱাৰিলে নিজক। শব্দ কৰি কান্দি উঠিছিল সি। সন্ধ্যাই সাৱটি ধৰিছিল তাক। একো কোৱা নাছিল। তাই জানে ময়ূঁৰ অভিমন্যুৰ বাবে কি। গতিকে কান্দক। হেঁপাহ পলুৱাই কান্দক সি। সন্ধ্যাৰ বুকুত মূৰটো গুজি কান্দি কান্দি আছিল অভিমন্যুয়ে। সন্ধ্যাইও তাৰ মূৰটো সাৱটি চুলিখিনিত হাত ফুৰাই আছিল। তাইৰ দুই এটোপাল চকু পানী অভিমন্যুৰ মূৰতো পৰিছিল। নিজৰ মাজতে ব্যস্ত থকা সন্ধ্যা আৰু অভিমন্যু এটাইও মন কৰা নাছিল মানুহ গৰাকীক গাড়ীত উঠাই দি আহি কেবিনটোৰ দুৱাৰ মুখত ৰৈ সিহঁতলৈ চাই থকা অনুৰণক।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 72

"বিদায়" - এই শব্দটো শুনিবলৈ যিমান সৰল ইয়াৰ গভীৰতা সিমানেই বিশাল। কোনো এটা বস্তুৰ সৃষ্টি হ'লে যিদৰে ধ্বংস অনিবাৰ্য, সেইদৰে আৰম্ভণি হ'লে সামৰণিও হ'বই। ইয়ে প্ৰকৃতিৰ নিয়ম। পৰিৱৰ্তনেই সংসাৰৰ একমাত্ৰ ধ্ৰুৱক। সময়বোৰক যে পাখিলগা বুলি এনেয়ে নকয়। সৌ সিদিনাহে সন্ধ্যা সোৱণশিৰীলৈ আহিছিল। বিদিশা বাহঁতে ভনী হিচাপে আদৰিছিল তাইক। আৰু আজি এইয়া তাই সিহঁতৰ ফেয়াৰৱেলৰ কাম কৰি আছে। বুকুখন বিষাই আহে কোনোবা সময়ত। কেনেবাকৈ সময়বোৰ ৰখাই দিব পৰাহেঁতেন। ভাবি ভাবি জঠৰ হৈ যায় সন্ধ্যা। কোন সতেৰে তাই বিদায় দিব বিদিশা, ৰীণা আৰু দীপাহঁতক। সৌ প্ৰথম দিনাৰ পৰাই তাইৰ বাবে কমখিনি কৰিছে নে সিহঁত গোটেই কেইজনীয়ে। সিহঁতৰ মৰমৰ বাবেইতো ঘৰৰ পৰা আঁতৰিও এখন ঘৰ পাইছিল সন্ধ্যাই। কিন্তু আজি---! হঠাৎ ফোনটো বাজি উঠিল তাইৰ। অভিমন্যুৰ ফোন,

"ঐ, ৰাতি ভাত খাই উঠি ৰঙাটো আছিল নে?"

সন্ধ্যাই দবিয়াই উঠিল,

"হেই গৰু, সদায় কিয় খেলিমেলি কৰ? ভাত খাই উঠি নীলাটো।"

"তোৰ এই খংটো চাবলৈকে জোকাওঁ আকৌ।" তাৰ কথাৰ লগে লগে কাষৰ পৰা হাঁহিৰ শব্দ উফৰি আহিছিল। ফোনটো এইবাৰ ময়ূঁৰে লৈ ক'লে,

"সন্ধ্যা, মই ঔষধ অথনিয়ে খালোঁ দেই। ই ইচ্ছা কৰি কামোৰ দি আছে তোমাক।"

"জানোতো মই। তাৰ কামনো কি আৰু?"

বুলি ফোনটো থ'লে সন্ধ্যাই। ময়ূঁৰক নাৰ্চিংহোমৰ পৰা অনা তিনি নে চাৰিদিনেই হ'ল। এতিয়া সুস্থ যদিও অলপ দুৰ্বল হৈ আছে। ডাক্তৰে ঔষধ দিছে, খালে ঠিক হৈ যাব। অভিমন্যুৰো এতিয়াহে হাঁহি ওলাইছে। সেইদিনা ময়ূঁৰৰ ওচৰলৈ অহা মানুহগৰাকী যোৱাৰ পাছত খুব কান্দিছিল সি। ময়ূঁৰৰ কষ্টবোৰ শুনি নিজক বুজাব পৰা নাছিল অভিমন্যুয়ে। সন্ধ্যাই কেৱল আঁকোৱালি ধৰি আছিল তাক। দুৱাৰ মুখত অনুৰণ আছিল। সন্ধ্যাই তাক দেখি অভিমন্যুৰ পৰা আঁতৰি আহিব লওঁতেই সি আঙুলিটো মুখত লগাই মনে মনে থকাৰ ইংগিত দি ওলাই গৈছিল। হয়তো সিও বুজিছিল অভিমন্যুক এই সময়ত সন্ধ্যাৰ কিছু সংগৰ প্ৰয়োজন। সেয়ে দুয়োকে অকলে এৰি আঁতৰি আহিছিল সি। এইবাবে তাক ভাল লাগে সন্ধ্যাৰ। নোকোৱাকৈও যে সকলো বুজে সি। সন্ধ্যাই মৰমেৰে বুজাইছিল অভিমন্যুক,

"অভি, এনেকৈ কান্দি নিজে দুৰ্বল হ'লে ময়ূঁৰক কেনেকৈ ঠিক কৰিবি কচোন। অকলশৰীয়া ল'ৰাটোক তইয়ে আগৰ দৰে হঁহুৱাব লাগিব। তোৰ বাহিৰেতো আন কাৰো লগত কথাও ভালকৈ নাপাতে সি। গতিকে ময়ূঁৰক যদি আগৰ দৰে কোনোবাই কৰিব পাৰে, সেয়া অকল তই।"

অভিমন্যুয়ে চকুপানী মচিছিল,

"তই ঠিক কৈছ সন্ধ্যা। ময়ূঁৰক মই আগৰ দৰে কৰি দিম চাবি। আকৌ হঁহুৱাম তাক। আগৰ চব বোৰ পাহৰাই পেলাম।"

তেনেকুৱাতে নাৰ্চে কৈছিলহি ময়ূঁৰক ৰিলিজ লৈ নিব পাৰিব। সি সম্পূৰ্ণ সুস্থ। তাৰ নাৰ্চিংহোমৰ বিল সাত হেজাৰ হৈছিল। অনুৰণ আৰু সন্ধ্যাই নিজৰ দুহেজাৰকৈ দিয়াৰ বিপৰীতে অভিমন্যুয়ে নিজৰ পৰা তিনি হেজাৰ দি বিল দিছিল। অনুৰণহঁতে বাকী এহেজাৰটোও মিলাই দিব লৈছিল যদিও অভিমন্যুয়ে মানা কৰি সি নিজেই দিলে। আৰু

Kaushik

ময়ূঁৰক ফাকি দি ক'লে যে তাৰ খৰছ হোষ্টেলৰ ফালৰ পৰা দিয়া হৈছে। ইয়াত এনেকুৱা ফাণ্ড আছে। সেই তেতিয়াৰে পৰা ময়ূঁৰৰ ছাঁটো হৈ লাগি আছিল অভিমন্যু। তাক সময় মতে দৰব খোওৱাৰ উপৰিও আহি থকা ফাইনেল পৰীক্ষাৰ বাবে মাজে মাজে পঢ়াইও আছিল। প্ৰথম দুদিন অভিমন্যুৰ দৰবৰোৰ মনত নথকাৰ বাবে সন্ধ্যাক ফোন কৰিব লগা হয়। তাইও মিহিকৈ ধমকি এটা মাৰি শুধৰাই দিয়ে। আজি পিছে ইচ্ছা কৰি তাইক খং উঠাবলৈকে ফোন কৰিছিল সি। এইফালে সন্ধ্যা আৰু প্লাৱিতা লগ লাগি ডেইজীৰ ৰুমত সোৱণশিৰীৰ ফেয়াৰৱেলৰ কামত লাগি আছে। এইবাৰ ওলাই যোৱা সকলোকে কিবা কিবি উপহাৰ দিয়াৰ লগতে একোখনকৈ কাৰ্ড দিবলৈ ঠিক কৰিছিল সিহঁতে। সেই কাৰ্ডেই বনোৱাত লাগি আছে সন্ধ্যা। ডেইজী আৰু প্লাৱিতা সন্ধ্যাতকৈ এবছৰ ডাঙৰ। সিহঁত Intregrated MSc ৰ। এবছৰ ডাঙৰ যদিও সদায় কথাৰ মহলা মাৰি মাৰি লগৰৰ দৰেই নাম কাঢ়ি তই মইকৈ মতা হ'ল। বিদিশা বালৈ কাৰ্ডখন লিখিবলৈ লৈ সন্ধ্যাৰ চকুযোৰ চলচলীয়া হৈ পৰিছিল। 132 ৰুমটোত বিদিশাৰ অনুপস্থিতি কেনেকৈ মানি ল'ব বাৰু সন্ধ্যাই? তাই থৰ থকা দেখি প্লাৱিতাই সাৰটি ধৰি কৈছিল,

"ঐ, কিয় মন মাৰিছ হা? আমিবোৰ আছোঁ নহয়।"

সিখন বিচনাৰ পৰা উঠি আহি ডেইজীয়েও ক'লে,

"অঁ আকৌ। আমি সদায় এনেকৈই উৎপাত কৰি থাকিম বুইছ। আৰু ৰীণা বাহঁতক কৈ দিম Monthly এবাৰকৈ যদি হোষ্টেললৈ নাহে আমি কিন্তু ফেয়াৰৱেল নিদিওঁ।"

শেষৰ বাক্যটো কওঁতে ডেইজীৰো মাতটো থোকাথুকি হ'ল। কথাটো শেষ কৰি তাই কান্দোন ৰখাব নোৱাৰিলে। লগে লগে সন্ধ্যা আৰু প্লাৱিতাইও কান্দি উঠিল। এইবোৰেই বান্ধোন। হোষ্টেলৰ জীৱন দিয়া সেউজীয়া আপোনতা। চিনাকি মুখবোৰ চকুৰ আঁতৰ হোৱাতকৈ কষ্টকৰ বেদনা আৰু আছে জানো? সিহঁতে কান্দি থাকোঁতেই প্ৰিয়া আৰু কংকনা সোমাই আহিল। কংকনা আহিয়েই উৎপাত আৰম্ভ কৰি দিলে,

"ওওও, তহঁত পেনেৰী কেইজনীক কাম কৰিবলৈ দিবই নালাগে। হেৰৌ, ফেয়াৰৱেলৰ দিনা কান্দিবলৈও অলপ চকুপানী ৰাখচোন। এতিয়াই শেষ কৰিবিনে?"

প্ৰিয়া আহি সন্ধ্যাৰ কাষতে বহিল,

"ঐ, কিয় কান্দি আছ হা? ৰহ ফটো এখন উঠাই অভিমন্যুক দি দিম।"

Kaushik

অভিমন্যুৰ নাম লোৱাৰ লগে লগেই ৰুমৰ পৰিৱেশেই বেলেগ হৈ গ'ল। গোটেই কেইজনীয়ে জোকাবলৈ লাগিছিল সন্ধ্যাক। শেষত তাই "তহঁতৰ লগত যে নোৱাৰি আৰু দেই" বুলি ৰুমৰ পৰা ওলাই আহিল।

ৰুমত বিদিশা বাই বেৰত থকা তাই লগাই থোৱা প্ৰাকৃতিক দৃশ্যৰ ফটোখনলৈ একেথিৰে চাই আছিল। সেইখন হেনো বিদিশা প্ৰথম আহিয়েই লগাইছিলহি। সন্ধ্যা ৰুমত সোমোৱাৰ লগে লগে বিদিশাই সুধিলে,

"ক'ত আছিলি ইমান সময়?"

"নাই, এনেই প্ৰিয়াৰ ৰুমতে আড্ডা মাৰি"

ইচ্ছা কৰিয়ে ফাকি দিলে সন্ধ্যাই। কোনখন মুখেৰেনো তাই কয় যে ফেয়াৰৱেলৰ কামত লাগি আছিল বুলি। কিন্তু ৰুমমেটৰ পৰা কথা লুকুৱাব পাৰি জানো? বিদিশাই নিজেই ক'লে,

"মোকো ফাঁকি দিয়।"

সন্ধ্যাই একো নোকোৱাত তাই আকৌ সুধিলে,

"কেনেকুৱা চলিছে ফেয়াৰৱেলৰ প্ৰিপেৰেচন?"

সন্ধ্যাই বিদিশাক সাৱটি ধৰি উচুপি উঠিল,

"থাকি যোৱা না প্লিজ কিবা কৰি। পি এইচ ডি ট্ৰাই কৰা লাগিলে। মই কেনেকে থাকিম বা তুমি গুছি গ'লে?"

সন্ধ্যাৰ মূৰত হাত ফুৰাই বিদিশাই কঁপা কঁপা মাতেৰে ক'লে,

"তই এনেকে কান্দিলে মোৰ আৰু কষ্ট হ'ব কিন্তু। মই আহি থাকিম নহয় মাজে মাজে।"

সন্ধ্যাই কিন্তু এৰি নিদিলে। জোৰকৈ শব্দ কৰি কান্দি উঠিল দুয়োজনীয়ে। আঁতৰি যোৱাৰ বেদনাত সিহঁতৰ বুকু ভঙা কান্দোনৰ সাক্ষী হৈছিল ৰুমটোৰ দেৱালবোৰ। এনেদৰেই চাগে আৰু কত ৰুমমেটৰ বিচ্ছেদৰ উচুপনি বুকুত লৈ জী আছে এই ৰুমৰ দেৱালবোৰ।

Kaushik

পাটকাইত আকৌ কেন্টিন আৰম্ভ হৈছিল। দেৱাশীষেই তাৰ চিনাকি ল'ৰা এজনক আনিছিল কেন্টিনখন চলাবলৈ। দেৱাহঁতকৈ বয়সত ডাঙৰ বিবাহিত ল'ৰাজনৰ নাম জিৎ। কম দিনৰ ভিতৰতে সুন্দৰ ব্যৱহাৰেৰে জিৎ দা সকলোৰে প্ৰিয় হৈ পৰিছিল। "জিৎ দা অমুকটো, জিৎ দি তমুকটো" বুলি কেন্টিনখন গোটেই সময়খিনি জীপাল হৈ থাকে। ৰাতিও দুই তিনি বজালৈ জিতে কেন্টিন বন্ধ কৰিব নোৱাৰে। মাজে মাজে অভিমন্যুহঁতে একো কিনিবলগা নাথাকিলেও জিৎ দাৰ লগত কথাৰ মহলা মাৰেহি।

সিদিনাও ৰাতি কিবা বস্তু নিবলৈ কেন্টিন পালেহি অভিমন্যু। আঁতৰৰ পৰাই গলগলীয়া মাতটো শুনিয়ে গম পাইছিল সি যে কেন্টিনৰ ভিতৰত দেৱা দা বহি আছে। দেৱা দাক জোকাওঁ বুলিয়েই ওচৰতে থকা MBA ডিপাৰ্টমেন্টৰ বিদ্যুতক দেৱা দাই শুনাকৈ কৈ উঠিল অভিমন্যুয়ে,

"বুইছা বিদ্যুৎ, এই নেক্সত ছেমৰ পৰাহে আমাৰ অলপ শান্তি হ'ব আৰু। পাটকাই সত্ৰৰ সত্ৰাধিকাৰ দেৱা গোসাঁয়ে অৱসৰ ল'বতো।"

কেন্টিনৰ ভিতৰত বহি থকা দেৱা দাৰ হাঁহি উঠিছিল। অভিমন্যুয়ে যে ইচ্ছা কৰি কৈছে সেইটো জানিও সি তাক খেদি আহিল,

"কি হ'ল? কি কৈছ তই? ওচৰলে আহচোন।"

অভিমন্যুয়েও এক দৌৰ মাৰিলে। পিছে পিছে দেৱাশীষ। শেষত পাটকাইৰ চাইকেল ষ্টেণ্ডটোতে যেনিবা ধৰিলে গৈ তাক। দুইটাই হাঁহি হাঁহি ফোপাইছিল। এসময়ত দেৱাশীষ গহীন হৈ লাহে লাহে ক'লে,

"চালা পাঁচ বছৰ কেনেকৈ গ'ল গমেই নাপালোঁ বে। পাটকাইৰ ফাৰ্ষ্ট বেটছ আছিলোঁ। ঘৰ হৈ গৈছিল বে হোষ্টেলখন।"

সমুখত পাটকাই প্ৰকাণ্ড বিল্ডিংটোলৈ চাই ক'ব নোৱাৰাকৈ আৱেগিক হৈ গৈছিল দেৱাশীষ। কত যে কাহিনী, কত যে সাধু পাৰ হ'ল যোৱা পাঁচ বছৰত। সাক্ষী মাথোঁ পাটকাই। অভিমন্যুয়ে তাৰ বাহুত হাত থৈ ক'লে,

"আহি থাকিব কিন্তু মাজে মাজে দেৱা দা। হোষ্টেলত আপোনাৰ গালি নুশুনাকে কেনেকে যে---"

Kaushik

কথাটো শেষ কৰিব নোৱাৰিলে সি। বুকুত যেন কিবা এটাই খুন্দা মাৰি ধৰিছিল। ক'ব নোৱাৰাকৈ আপোন হোৱা মানুহবোৰ যেতিয়া আঁতৰি যায় সঁচাই বুকুখন একেবাৰে উদং হৈ যায়। তাক ঢকা এটা মাৰি দেৱাশীষে ক'লে,

"তোকতো মই দেইলী ফোনত গালি দিম বুইছ।"

ইটোৱে সিটোৰ পৰা আৱেগবোৰ লুকুৱাই পাটকাইৰ ভিতৰলৈ গৈছিল। ল'ৰাবোৰ এনেকুৱাই, বুকুত যিমান মৰম থাকিলেও যিমান কান্দোন থাকিলেও উলিয়াই দেখুৱাব নোৱাৰে কাহানিও। কষ্টবোৰেৰে সামৰি ৰাখে বুকুতে।

কাঞ্চনৰ চহৰৰ এই দিন কেইটা খুব কষ্টেৰে পাৰ হয় সকলোৰে। পুৰণি খিনিৰ বাবে চেনেহৰ চৌহদটো মৰমৰ মানুহখিনিক এৰি যোৱাৰ বেদনা আৰু নতুন খিনিৰ বাবে কম দিনতে মৰমৰ বান্ধোনত সোমাই পৰা ছিনিয়ৰ খিনিক বিদায় জনোৱাৰ যন্ত্ৰণা। কিন্তু দুখ কৰিও যে লাভ নাই, কাৰণ সময় এনেকুৱাই।

ডিপাৰ্টমেন্টৰ লগতে হোষ্টেলতো আৰম্ভ হৈছিল ফেয়াৰৱেল। ডিপাৰ্টমেন্টৰ ফেয়াৰৱেলত আচলতে বেছি ভাগেই যাব লাগে কাৰণে যোৱা, পাতিব লাগে কাৰণে পতাৰ নিচিনা হয়। দৈনিক পাঁচ ছটাকৈ ক্লাছ কৰাৰ পাছত ডিপাৰ্টমেন্টত ক'ত আৰু ছিনিয়ৰ জুনিয়ৰৰ কথা হ'ব? কথা বতৰায়েই যদি নহয় ক'ত আৰু মৰমৰ বান্ধোন থাকিব? কিন্তু হোষ্টেলবোৰত এই সময় খিনি খুব দুখৰ। ছোৱালী হোষ্টেলৰ ছিনিয়ৰ জুনিয়ৰৰ আড্ডাবোৰৰ পৰা ভাঁহি আহে উচুপনি। ল'ৰা হোষ্টেলতো ধোঁৱাৰ মাজত সৰে জাক জাক হুঁমুনিয়াহ।

আজি সোৱণশিৰীত ফেয়াৰৱেল। সন্ধ্যা ৰাতিপুৱাৰে পৰা ইটো সিটো কামৰ অচিলা লৈ বিদিশাৰ পৰা আঁতৰি আছে। তাই জানে, বিদিশাৰ সমুখত আহিলে তাই নিজকে ৰখাব নোৱাৰিব। বিদিশাইও কথাটো বুজে। এই এবছৰতে সন্ধ্যাজনী তাইৰ নিজৰ ভনী হেন হৈছিল। এৰি যাবলৈ তাইৰো কষ্ট হৈছে। তথাপি যা হওঁক, সন্ধ্যা থকাৰ বাবেই হোষ্টেল খনলৈ তাই মন গ'লেই আহিব পাৰিব।

সন্ধিয়া ৱাৰ্ডেন মেম অহাৰ লগে লগেই ফেয়াৰৱেল আৰম্ভ হৈছিল কমন ৰুমত। ৰুমটো সন্ধ্যাহঁতে ধুনীয়াকৈ সজাইছিল। লাইটৰ পৰা আৰম্ভ কৰি ফুললৈকে। বেৰত আঁৰি দিছিল এইবাৰ যাবলগীয়া ছোৱালীবোৰৰ গ্ৰুপ ফটো। সদায় কিবা অনুষ্ঠান থাকিলে

Kaushik

দৌৰা দৌৰি কৰি থকা বিদিশা, ৰীণা আৰু দীপাহঁত আজি আলহীৰ দৰে বহি আছে। সন্ধ্যাহঁতে একো কৰিবলৈ দিয়া নাই সিহঁতক। মুখবোৰত হাঁহিবোৰ লৈ থাকিলেও মনবোৰ গধূৰ সকলোৰে। সন্ধ্যাহঁতকৈ দুবছৰ ডাঙৰ বি টেকৰ বৰ্ষা বায়ে anchoring কৰিছিল,

"নদী বৈ যায় ৰৈ যায় বালি, সময় বৈ যায় লৈ যায় স্মৃতি......"

এটা এটাকৈ অনুষ্ঠানবোৰ হৈছিল। ৱাৰ্ডেন মেমে বক্তৃতা এটাও দিলে চমুকৈ। শেষলৈ তেখেতো অলপ আৱেগিক হৈছিল। একেবাৰে শেষত সন্ধ্যা উঠি গৈছিল গান গাবলৈ। সেইটো যেন বাধ্যতামূলক আছিল।

"মোৰ সোৱণশিৰীৰ প্ৰতিজনী মৰমৰ বালৈ এই গীতটিৰে জনাইছোঁ এটি সৰু উপহাৰ" বুলি সন্ধ্যাই আৰম্ভ কৰিছিল সেই বিশেষ চিৰসেউজ গীতটো,

"সোণ ৰূপেৰেও জুখি চাব নোৱাৰি

এয়া অকমাণি আমাৰে পৃথিৱী...."

কাষতে কংকনাই গীটাৰখন বজাইছিল। সন্ধ্যাৰ গানটোৰ লগে লগে বিদিশাহঁতৰ মুখৰ আগত ভাঁহি উঠিছিল সোৱণশিৰীৰ বুকুত পাৰ কৰা এটা এটা স্মৃতি।

"প্ৰতি ওঁঠৰ কথাবোৰে মুকুতাৰে মালা গাঁথে

চেনেহৰে ছবি এইয়া আনে দেখি নোপোৱা..."

বিদিশা ৰৈ থাকিব নোৱাৰি উঠি গৈছিল গাই থকা সন্ধ্যাৰ ওচৰলৈ। সন্ধ্যাই বিদিশাৰ হাতখন সাৱটি লৈ গাই গৈছিল,

"মমতা এই দুহাততে বুৰণিয়ে আনি দিয়ে

চিকুণী চিকুণী সপোনে আনে বুজি নোপোৱা..."

পিছৰ খিনি বিদিশাইও সুৰ ধৰি সন্ধ্যাৰ লগতে গাইছিল,

"ধুমুহা ঢাকি থয়

মলয়া সিঁচি ৰয়

আঁচলৰো এইয়াহে বতৰা...."

Kaushik

ৰুমটোত থকা বহুতৰে চকু যেন ডাঁৱৰীয়া হৈছিল। কোনোজনীয়ে নিজৰ যাবলগীয়া ৰুমমেটৰ ওচৰলৈ আহি বহিছিলহি। কোনোবাই চকীতে মূৰটো পেলাই পাৰ কৰা দিনবোৰৰ কথা ভাবিছিল। দীপাৰ কান্ধতে মূৰটো পেলাই দিছিল ৰীণাইও। সন্ধ্যাৰ মাতটো কঁপিছিল পিছৰখিনি গাওঁতে,

"মৰমৰে এনাজৰী বন্ধনে ৰাখে ধৰি

বুকুৱে বুকুৱে বাজি লোৱা উশাহৰে গান..."

সন্ধ্যাৰ কৰুণ মাতটোত বাহিৰত থকা ছিকিউৰিটী মাহীয়েও মুখত সোপা দি কান্দিছিল। এতিয়াৰ পৰা তেওঁৰ লগত চুপতি মাৰিবলৈ আৰু ৰীণা নাথাকে। সেই চিঞৰবোৰ আৰু শুনা নাপায়। হয়, নতুন আহিব। কিন্তু কিছুমান মানুহ সদায় অন্তৰত নিগাজীকৈ থাকি যায়।

"এই মাটি এই আকাশ মানি ল'লো এই সৰগ

জনমে জনমে খোজো এনে সাধনাৰে ধন..."

ৰীণাই ফেঁকুৰি উঠিল জোৰকৈ সেইখিনিতে। সন্ধ্যাই হাতটো মেলি মাতিলে তাইক গাই থকাৰ মাজতে। ৰীণা আৰু দীপা উঠি গৈছিল। সন্ধ্যা, বিদিশা, ৰীণা আৰু দীপাই একেলগে গাইছিল,

"বেলি নজ্বলিলেও

জোন নগলিলেও

জিলিকিব মৰমৰ এই বন"

তাৰ পাছতে কমন ৰুমত থকা গোটেই ছোৱালী খিনিয়ে একেলগে গাইছিল,

"সোণ ৰূপেৰেও জুখি চাব নোৱাৰি

এয়া অকমাণি আমাৰে পৃথিৱী

বতাহে বতাহে মৰম বৈ থাকে উমলি...."

গানটো শেষ হওঁতে সন্ধ্যাহঁতে ইজনীয়ে সিজনীক সাৱটি উচুপি উঠিছিল। সিহঁতৰ বান্ধোন দেখি ৱাৰ্ডেন মেমেও চকুপানী ৰখাব নোৱাৰিলে। পৰিৱেশটো বেছি দুখৰ হৈ

Kaushik

পৰাত গৌৰীয়ে আহি বিহু গাইছিলহি। বিহুৰ সুৰতে শেষ বাৰলৈ একেলগে এপাক নাচিছিল সিহঁত বোৰে। সময়বোৰ ধৰি ৰখাৰ যেন এক ক্ষুদ্ৰ প্ৰয়াস।

পাটকাইৰ ফেয়াৰৱেলতো একে অৱস্থা। গোটেই সময় থিনি ধৈৰ্য ধৰি থাকি শেষত মাজৰাতি ধোঁৱা আৰু ৰঙীন বটলৰ নিচাত বুকু ঢকিয়াই কান্দিছিল দেৱাশীষ বিপ্লৱহঁতে। অভিমন্যুও আছিল তাতে। দেৱাশীষে তাক সাৱটি ধৰি কৈছিল, "পাহৰি নাযাবি বে ভাই, খুব মৰম কৰোঁ তোক।" সিও কৈছিল, "পাটকাই থকালৈকে আপুনি সদায় থাকিব আমাৰ মনত দেৱা দা। পাটকাইক কেঁচুৱাৰ পৰা ডাঙৰ কৰিছে আপুনি।"

বহুতৰে মনৰ আৱেগথিনি ওলাই আহিছিল সেই দিনা নিচাৰ মাজেৰেই। ৰাতিটো যেন সিহঁতে হাতেৰে মুঠি মাৰি ধৰিহে ৰাখিব।

এইবোৰৰ পাছতেই আৰম্ভ হ'ল ফাইনেল পৰীক্ষা। বহুতৰে জীৱনৰ শেষ পৰীক্ষা এইটো। হয়তো ইয়াৰ পাছতে কাৰোবাৰ চাকৰি, কাৰোবাৰ বিয়া। মন বেয়া লাগিলেও সকলোৱে দুখবোৰ হেঁচি ৰাখিছিল। কাৰণ পৰীক্ষাৰ লগত কোনো গাফিলতি নাই। সন্ধ্যাহঁতেও বাকী সকলো কথা বাদ দি একাণপতীয়াকৈ পঢ়াত লাগিছিল।

এইদৰেই পৰীক্ষাও শেষ। হোষ্টেলৰ উইড্ৰল ফৰ্ম দি এজন এজনকৈ আৱাসী ওলাই গৈছিল এখন গধূৰ বুকুত এসোপা নামহীন কাহিনী লৈ। বিদিশাহঁতৰ পৰীক্ষা আগতেই শেষ হোৱাত সন্ধ্যাতকৈ এদিন আগতেই গ'ল তাই। লগতে ৰীণাও। সন্ধ্যাৰ কান্দোন কোনেও ৰখাব পৰা নাছিল সিদিনা। বিদিশাক সাৱটি লৈ কেঁচুৱা জনীৰ দৰে উচুপিছিল। ৰীণাই ৰুমত থকা কল কেইটা কাঞ্চন জোপাত উলমি থকা বান্দৰ কেইটালৈ দলিয়াই দিছিল। আজি যেন ইহঁতকো আপোন যেন লাগিছে। গেটৰ ছিকিউৰিটী মাহীক শেষ বাৰৰ বাবে তাই জোকাইছিল,

"ঐ বুঢ়ী ছাগলী, খুব ভাল পাইছে চাগে আজি।"

উত্তৰত মাহীয়ে তাইক সাৱটি ধৰি ফেঁকুৰি উঠিছিল,

"ভালকৈ থাকিবি মাজনী।"

যোৱাৰ আগত সোৱণশিৰীৰ সমুখত আঁঠু লৈ সেঁৱা এটা কৰি সন্ধ্যাৰ হাতত ধৰি বিদিশাই কৈছিল,

Kaushik

"সোৱণশিৰীক তোকেই গতালো সন্ধ্যা। ভালকৈ ৰাখিবি আমাৰ ঘৰখন। মোক পাহৰি নাযাবি।"

সন্ধ্যাই মূৰ দুপিয়াইছিল। চকুপানী বৈয়ে আছিল তাইৰ। চকুৰ আঁৰ নোহোৱালৈকে গেটখনত মূৰটো ভেঁজা দি চাই আছিল বিদিশাহঁতলৈ। আজিৰ পৰা হোষ্টেলত ৰীণা বাৰ চিঞৰ নুশুনে। সন্ধিয়া সন্ধিয়া ৰাস্তাৰ ল'ৰাও কোনেও নোজোকাই। সন্ধ্যাই নাখাওঁ বুলি ক'লেও ভাত নিজ হাতেৰে খোৱাই দিবলৈ বিদিশা নাথাকে। এটা এটা কথা মনলৈ আহিছিল সন্ধ্যাৰ। খালী ৰুমটোত সোমাওঁতে শিৱৰাত্ৰিৰ দিনা নিচা কৰি নচা গানবোৰৰ শব্দবোৰ যেন শুনা পাইছিল। দুৱাৰখন ধমকৈ খুলি যেন ৰীণা বা সোমাই আহি ক'ব,

"এই বিদিশা বান্দৰী ক'লে গ'ল অ'?"

ৰীণা বাহঁত সদায় স্মৃতিৰ কৰাপাটত জিলিকি ৰ'ব সন্ধ্যাৰ বাবে। নোৱাৰে, কেতিয়াও নোৱাৰে সন্ধ্যাই সিহঁতক বিদায় দিব। বিদায় সেই সকলৰ বাবেহে, যাৰ ভালপোৱাৰ প্ৰকাশ চকুৰেহে। কিয়নো হৃদয় আৰু আত্মাৰে ভালপোৱা সকলৰ সৈতে কেতিয়াও বিচ্ছেদ নহয়।

Kaushik

সন্ধ্যাহঁতৰ শেষৰ পৰীক্ষাটোও শেষ হ'ল। তাই ঘৰলৈকে যাব ওলাইছিল। এনেও বিদিশা বা নথকা খালী ৰুমটোত তাইৰ যেন উশাহ বন্ধ হ'ব খোজে। শোৱাৰ পৰা উঠিয়েই বিদিশা বাৰ খালী বিচনাখন দেখিলেই তাইৰ বুকুখন মুচৰ খাই উঠে।

যাবলৈ ওলোৱা সন্ধ্যা থাকি গৈছিল সিদ্ধাৰ্থৰ অনুৰোধত। আহিব লগা ছেমিষ্টাৰত সিদ্ধাৰ্থৰ পৰিচালিত নাটক "মিৰিজীয়ৰী" মঞ্চস্থ হ'ব। ইতিমধ্যে স্ক্ৰীপ্ট লিখি শেষ কৰিলে শিখা বাই। জংকীৰ ভূমিকাত অভিমন্যু। আৰু পানেইৰ বাবে সিদ্ধাৰ্থহঁতে ঠিক কৰিছিল ডিব্ৰুগড় ইউনিভাৰ্চিটীত পঢ়ি থকা ছোৱালী এজনী। সিদ্ধাৰ্থই কোৱা মতে, তাই টিভি চেনেলতো কিবা ছিৰিয়েল কৰিছে হেনো। গতিকে পানেইৰ চৰিত্ৰ সুন্দৰকৈ ফুটি উঠাব তাই। কথাটোত কোনো কোনোৱে আপত্তি কৰিছিল যদিও সিদ্ধাৰ্থৰ ওচৰত মুখ ফুটাই কোৱাৰ সাহস নাই। আৰু সাহস থাকিলেও পানেই চৰিত্ৰত কোনোবা ছোৱালী বিচাৰি দিয়াৰ দায়িত্ব কোনেও ল'ব নোৱাৰে। সেইবাবেই এই সিদ্ধান্ত মানি লৈছিল সকলোৱে। সিদ্ধাৰ্থৰ কথা মতেই সন্ধিয়া সাত মান বজাত চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনত গোট খাইছিল গৈ সন্ধ্যাহঁত। অভিমন্যুও আহিছিল। সন্ধ্যাৰ লগত জুৰিও

আছিল তাত। সিদ্ধাৰ্থই সকলোৰে চিনাকি দিছিল। মাচকমৰ নিবেদিতা, লিপিস্মিতা ; চায়েন্সৰ নিকিতা, জ্যোতিস্মিতা, থমচন ; কালচাৰেলৰ ৰিচাৰ্ছ স্কলাৰ দিশা, দিম্পী ; কমাৰ্চৰ তনয়, যুগল ; বি টেকৰ অক্ষয়, মৈত্ৰী আদি সকলোৰে লগত চিনাকি হৈছিল সন্ধ্যা অভিমন্যুহঁত। সকলোৱেই এবছৰ বা দুবছৰ ডাঙৰ সিহঁততকৈ। সকলোকে চৰিত্ৰ সমূহ ভগাই দি কথাবোৰ বুজাইছিল সিদ্ধাৰ্থ দাই। তেতিয়ালৈকে নতুন ছোৱালী জনী আহি নোপোৱাত থমচনে কৈয়ে দিছিল,

"আমাৰ হিৰোইন ক'ত?" গোটেইবোৰে হাঁহিছিল।

অলপ পাছতে শিখা বাৰ লগত আহি পাইছিলহি ছোৱালী জনী। ষ্ট্ৰেইট কৰা চুলিৰে জিনচ টপ আৰু ভৰিত হিলচ পিন্ধা ছোৱালীজনীৰ উগ্ৰ পাৰফিউমৰ গোন্ধই গোটেই হলটোত যেন তাইৰ উপস্থিতিৰ ঘোষণা কৰিছিল। সিদ্ধাৰ্থ দাই সকলোৰে লগত চিনাকি কৰি দিছিল তাইক,

"এইয়া আমাৰ পানেই। ডিব্ৰুগড়ৰ গাৰ্গী ৰাজখোৱা।"

সকলোৱে হাঁহি মুখেৰে সম্ভাষণ দিছিল তাইক। সন্ধ্যাই এবাৰ তলৰ পৰা ওপৰলৈকে ভালদৰে চাইছিল তাইক। গোটেই শৰীৰতে আভিজাত্যতাৰ চিন স্পষ্ট। সিদ্ধাৰ্থ দাই "জংকীৰ চৰিত্ৰ কৰিব এইয়া অভিমন্যু শৰ্মাই" বুলি কোৱাৰ লগে লগেই অভিমন্যু আগুৱাই আহি হেণ্ডচেক দিছিল তাইক। সেই যে আৰম্ভ হ'ল গোটেই সময় খিনি সিহঁতে কথা পাতিয়ে পাৰ কৰিলে। সিদ্ধাৰ্থই স্ক্ৰীপ্টটো লৈ কিবা কিবি বুজাই আছিল সিহঁতক। সন্ধ্যাই ৰৈ থাকি অসহ্য লাগিছিল। তাইৰ আৰু জুৰিৰ কাম বিশেষ নাই। মাত্ৰ নাটকত থকা নাচ খিনিৰ পৰিচালনাৰ দায়িত্ব সিহঁতৰ। অভিনয় কৰাখিনিৰ দুই এটাই ডাইলগো আওঁৰাই চালে। এঘন্টা মানৰ পাছতে সিদ্ধাৰ্থই যাবলৈ দি ক'লে,

"আজিলৈ সামৰো ইয়াতে। আজি মাত্ৰ চিনাকি হ'বলৈহে মাতিলোঁ। গাৰ্গীও তোমালোকৰ লগত চিনাকি হ'ল। কাইলৈতো সকলো ঘৰলৈয়ে যাবা। গতিকে মই আশা কৰিছোঁ এই বন্ধৰ দুমাহত তোমালোকে মিৰিজীয়ৰী উপন্যাসখন মুখস্থ হোৱাকৈ পঢ়া। প্ৰতিটো চৰিত্ৰক বুজিবলৈ চোৱা। নতুন ছেমিষ্টাৰ আৰম্ভ হোৱাৰ পাছতেই আমি প্ৰেকটিছ আৰম্ভ কৰিম। নতুনকৈ অহা ল'ৰা ছোৱালীও ল'ম। গাৰ্গীও আহি ইয়াতে থাকি প্ৰেকটিছ কৰিব। এতিয়া যাব পাৰা।"

লগে লগেই এজন এজনকৈ হলটোৰ পৰা ওলাই গৈছিল। অভিমন্যু তেতিয়াও গাৰ্গীৰ লগত কথা পতাৰ মচগুল। সিহঁত একেলগেই ৰাস্তালৈ ওলাল।

Kaushik

"সন্ধ্যা, কি হ'ল?"

একেথৰে অভিমন্যুহঁতলৈ চাই থকা দেখি শিখা বাই সুধিলে। উত্তৰত তাই মূৰ জোকৰাত শিখাই "যাওঁ ব'লা" বুলি লগ ধৰোঁতে তাই ক'লে,

"তোমালোক আগবাঢ়া শিখা বা। মই গৈ আছোঁ।"

শিখাহঁত আগবাঢ়িল। জুৰিও নিকিতাহঁতৰ লগতেই গ'ল। অভিমন্যুতো গাৰ্গীৰ লগতেই কথা পাতি গৈ আছে। গাৰ্গীৰ হাঁহিৰ শব্দ সন্ধ্যাৰ ওচৰলৈকে ছিটিকি আহিছিল। সকলোৰে শেষত অকলে অকলে লাহে লাহে আগবাঢ়িছিল সন্ধ্যা। মনটো যেন হঠাৎ ডাৱৰীয়া হৈ পৰিছিল। খোজবোৰ গধূৰ হৈছিল। যেন খুব ভাগৰ লাগিছে। বাকীবোৰ বহুদূৰ পাইছিল গৈ তাইক এৰি। সকলোৱে ইটোৱে সিটোৰ লগত কথা পতাত ব্যস্ত। সকলো থকাৰ পাছতো সন্ধ্যাৰ খুব অকলশৰীয়া যেন লাগিছিল। সেইবাবেই তাই ৰৈ গ'ল। এৰা, এনেও বেছি ভিৰ থকা ঠাইৰ পৰা আঁতৰিয়ে থকা ভাল। সেয়া লাগিলে কাৰোবাৰ ঘৰেই হওঁক, নাইবা কাৰোবাৰ হৃদয়েই হওঁক।

অকলশৰে আগবাঢ়ি গৈ নিৰিবিলিৰ ওচৰৰ পুলটোতে বহিছিল গৈ তাই। আকাশত জোনটোৰ কজলা তেজখিনি নিৰিবিলিৰ পানীত কঁপিছিল। মাজে মাজে দুই এচাটি বতাহ। নিৰিবিলিৰ ফালে মানুহবোৰ খোজ কাঢ়িয়ে আছে। দুমাহৰ বাবে প্ৰিয়জনক নেদেখাৰ দুখখিনি যেন আজিয়ে শেষ কৰি ল'ব। পুখুৰীটোৰ পানীখিনিলৈ চাই কিমান সময় বহি আছিল সন্ধ্যাইও ক'ব নোৱাৰে। এনেতে কাৰোবাৰ মাত,

"ঐ ছোৱালী, কি হ'ল ইমান ট্ৰেজেদী যে?"

অনুৰণ ৰৈ আছিল চাইকেলত। সন্ধ্যাই ঘূৰি চালে। এইখিনি সময়ত তাইৰ অকলে থাকিবলৈ মন গৈছিল। আন কোনোবা হোৱা হ'লে চাগে তাই কৈয়ে দিলে হেঁতেন। কিন্তু অনুৰণক দেখি তাইৰ ভালহে লাগিছিল। তলমূৰ কৰি তাই ক'লে,

"নাই, এনেই।"

"মোকো ফাঁকি দিছা ন?"

অনুৰণৰ মাতৰ এই আকুলতা খিনিতেই বাৰে বাৰে কঁপি উঠে সন্ধ্যা। বুকুৰ কোনোবা খিনিত যেন আঘাত কৰে এইখিনিয়ে। তাই সুধিলে,

"তুমি কেনেকৈ জানিলা মই ইয়াত আছোঁ বুলি?"

Kaushik

"Essential ত ইহঁত চব আছিল। তোমাক নেদেখোতে গম পাইছোঁ। ইয়াতে যে আছা। কোৱা চোন কি হ'ল?"

"এই অভি ডালক চোৱা না। নতুন ছোৱালীজনী পাইয়ে কথা পতাত লাগি গ'ল। মোক এবাৰ নামাতিলেও যোৱাৰ টাইমত। মই ৰৈ যোৱাও গম নাপায়।"

তাইৰ কথাত অনুৰণে সামান্য হাঁহিলে। সন্ধ্যাৰ কাষতে পুলটোত বহিল সিও। আৰু ক'লে,

"নতুন ছোৱালীজনী মানে সেই পানেই কৰিবলৈ অহা?"

"উমম, তাইয়ে।"

অনুৰণে এইবাৰ বুজনিৰ সুৰত কৈছিল,

"চোৱা সন্ধ্যা, সিহঁত দুইটাই একেলগে নাটক কৰিবলৈ গৈ আছে। তাতে যি টি নাটক নহয়, মিৰিজীয়ৰী। জংকী পানেইৰ কাহিনী। গতিকে কেৰেক্টাৰ কেইটা কৰাৰ আগত অলপতো ভালকৈ চিনাকি হ'বই লাগিব ন?"

"কিন্তু, তথাপি---"

সন্ধ্যাই ক'বলৈ নাপাওঁতেই অনুৰণে আকৌ ক'লে,

"ভালপোৱাত বিশ্বাসতকৈ ডাঙৰ শক্তি একোৱেই নাই সন্ধ্যা। য'ত বিশ্বাসতকৈ বেছি সন্দেহ থাকে সেয়া ভালপোৱা নহয় বিজনেচ হে।"

সন্ধ্যাই একেথিৰে চাই আছিল অনুৰণলৈ। প্ৰেমৰ গান এটা শুনিলেও মুখ কোঁচোৱা অনুৰণে কেনেকৈ বুজি পাই ভালপোৱাৰ ইমান গভীৰ সংজ্ঞা? অনুৰণে আকৌ কৈছিল,

"তুমি ভালপোৱা এটা গান আন কোনোবাইও ভাল পালে গানটো জানো তোমাৰ পৰা আঁতৰি যাব কোৱা।"

সন্ধ্যা স্তব্ধ হৈ গৈছিল। পুলটোৰ কাষত থকা কাঞ্চনজোপাত কিবা চৰাই এটা পৰিছিলহি বাবেই হ'বলা কাঞ্চনৰ পাহি এটি সৰি পৰিছিল। পুখুৰীটোৰ কলকল শব্দটো স্পষ্টকৈ ভাঁহি আহিছিল। মুখেৰে একো নকৈ সন্ধ্যাই কেৱল চাই আছিল অনুৰণলৈ। কিমান খিনিলৈকে ভাল পালে কাৰোবাক এটা ভালপোৱা গানৰ লগত ৰিজাব পাৰি বাৰু? অলপ আগলৈকে বেয়া লাগি থকা সন্ধ্যাৰ মনটো অনুৰণ কথাখিনিয়ে ফৰকাল কৰি তুলিছিল।

Kaushik

এনেতে সিহঁতৰ নীৰৱতাত যতি পেলাই সন্ধ্যাৰ ফোনটো বাজিল। নামটো ওলাই আছিল – "Abhi"

সন্ধ্যাই উঠালে।

"ক'ত থাকি গ'লি? বিচাৰি ফুৰিছোঁ মই। essential আহ।"

সি খঙেৰে ক'লে। সন্ধ্যাই "গৈছোঁ ৰ।" বুলি ফোনটো কাটিলে। অনুৰণে হাঁহি মাৰি ক'লে,

"যোৱা, ৰৈ আছে সি।"

"তুমি?"

"মই বহোঁ অলপ।"

"কিয়? কোনোবা আহিব?"

"নাহে। অকলে বহোঁ। তুমি যোৱা।"

সন্ধ্যা উঠি আহিল। এবাৰ অনুৰণলৈ চাই ক'লে,

"থেংক ইউ ৰণ। ইমান ভালকৈ বুজোৱাৰ কাৰণে। নহ'লে মোৰ মুডটো বেয়াই হৈ থাকিলহেঁতেন।"

হাঁহি মাৰি অনুৰণে ক'লে,

"আছোঁতো মই।"

সন্ধ্যাই খোজ ল'লে essentialৰ ফালে। অনুৰণলৈ উভতি চাইছিল এবাৰ। বহি আছে সি তাতেই। আকাশত তেতিয়া জোনটো ক্ৰমাৎ ডাঁৱৰলৈ সোমাইছিল।

Kaushik

Essentialতে অভিমন্যু সন্ধ্যালৈ ৰৈ আছিল। তাই গৈ পোৱাৰ লগে লগে গাৰ্গীৰ কথা কৈছিল সি। খুব ফ্ৰেণ্ডলি ছোৱালীজনী, তাৰ লগত বহুত কথা পাতিলে আৰু কিবাকিবি। এসময়ত অতিষ্ঠ হৈ সন্ধ্যাই ক'লে,

"যাওঁ মই। কাইলৈ ঘৰ যাম পেকিং কৰিব আছে।"

আঁতৰি আহিবলৈ লোৱা সন্ধ্যাক নিজৰ গাৰ ফালে টান মাৰি আনি অভিমন্যুয়ে কৈছিল,

"ৰ না। দুমাহ নেদেখিম তোক।"

"গাৰ্গী আছে নহয়। তাইকে মাতি আনি চাই থাক।"

সন্ধ্যাৰ মাতত অগা দেৱা কৰিছিলহি যাযাবৰী অভিমানবোৰে। সন্ধ্যাৰ কাণৰ ওচৰলৈ মুখখন নি অভিমন্যুয়ে কৈছিল,

"হাজাৰজনী গাৰ্গী আহিলেও তোৰ সমান হ'ব নোৱাৰে গৈ বুইছ পাগলী।"

ক'ৰবাৰ পৰা শিমলুৰ তুলা এটি উৰি আহি পৰিছিলহি সন্ধ্যাৰ চুলিত। অভিমন্যুয়ে হাতেৰে লৈ ফোঁ মাৰি উৰাই দিছিল। বতাহত উৰি গৈছিল তুলা খিনি। সন্ধ্যাৰ অভিমানবোৰৰ দৰেই। অভিমন্যুৰ লগত অলপ সময় থাকি ৰুম পাইছিলগৈ তাই। অভিমন্যু ৰাতিপুৱা ছটাতে যাবগৈ। দুমাহৰ বাবে আঁতৰিব লাগিব। "ফোন কৰি থাকিবি" বুলি তাইক কৈ সিও পাটকাই পালেগৈ।

পিছদিনা দেউতাক আহিছিল সন্ধ্যাক নিবলৈ। কাপোৰ খিনি জাঁপি থোৱাই আছিল। তললৈ বেগবোৰ ৯ নমাই থাকোঁতেই অনুৰণে ফোন কৰিলে,

"ঐ, গ'লা নি?"

এটা হাতত বেগটো লৈ সিটো হাতেৰে ফোনটো ধৰি সন্ধ্যাই ক'লে,

"এইয়া যাবলৈ ওলাইছোঁ। গাড়ীত বেগ ভৰাইছোঁ। তুমি কেতিয়া যাবা?"

"আজি ৰাতি। আঠ টাত আছে নাইট চুপাৰ।"

"পেকিং হ'ল?" সন্ধ্যাই সুধিলে।

"উম হ'ল।"

"ঠিকে আছে দিয়া। ৰাখিছোঁ তেন্তে।"

"গৈ পালে ক'বা।" অনুৰণে ক'লে। সন্ধ্যাৰ মুখত আকৌ হাঁহিৰ আভা। এই কথাটো ক'বলৈ নাপাহৰে সি।

Kaushik

বস্তুবোৰ ভৰাই গাড়ীত বহিল সন্ধ্যা। এবাৰ সোৱণশিৰীলৈ চাইছিল। এইবাৰ তাই উভতি আহিলে ৰাবৰি আনিছনে নাই সুধিবলৈ ৰীণা বা নাথাকিব। নথকা দিনৰ আড্ডাবোৰ মাৰিবলৈ বিদিশা বাও নাই। খুব অকলশৰীয়া যেন লাগিছিল নিজকে। এটা হুঁমুনিয়াহ সৰিছিল তাইৰ। দেউতাকে গাড়ী ষ্টাৰ্ট দিলে। গাড়ী আগবঢ়াৰ লগে লগে এবাৰ চৌহদটোৰ সেউজীয়াবোৰলৈ চাইছিল সন্ধ্যাই। দুমাহৰ বাবে আঁতৰি থাকিব লাগিব এই ৰংবোৰৰ পৰা। গাড়ীখন আহি মেইন গেটৰ ওচৰ পাইছিলহি। হঠাৎ সন্ধ্যাৰ চকু পৰিল। মেইন গেটৰ বাওঁফালৰ বাছ ষ্টেণ্ডটোতে অকলে বহি আছে অনুৰণ। দেউতাকে ছিকিউৰিটীক এণ্ট্ৰীৰ কাগজখন দিবলৈ গাড়ীখন ৰখাওতে তাইৰ চকুৱে চকুৱে পৰিছিল সি। মুখৰ ভিতৰতে অনুৰণে কৈছিল,

"বাই।"

সন্ধ্যাইও মুখত হাঁহি এটা লৈ তালৈ হাত জোকাৰিছিল। সিও সামান্যকৈ দাঙিছিল হাতখন। গাড়ীখন আগবাঢ়িছিল। এসময়ত সন্ধ্যাই নেদেখা হৈছিল অনুৰণক। গাড়ীত বাজি আছিল জুবিন দাৰ গান এটা,

"দুপাখি মেলি সমীৰে আহি

দিয়ে বা নিদিয়ে ফাগুণৰে খবৰ

তুমি ৰোৱা যেন মোলৈ ,

আহে বা নাহে ঘুমটি আহিবা ৰাতি সপোনকে লৈ,

থাকে বা নাথাকে শাওণৰে ঢল তুমি মৰমৰে নৈ....."

(আগলৈ)

#নিৰিবিলি

Part 73

"সময়ে শিকাব সময়ে বুজাব

সময়ক জানো পাৰি দুহাতে ৰাখিব...."

ইউনিভাৰ্চিটীৰ গেটখন পাওঁতে গাড়ীত বাজি থকা গানটোৱে মনটো আৰু গধূৰ কৰি তুলিলে সন্ধ্যাৰ। আজি সম্পূৰ্ণ দুমাহৰ মূৰত কেম্পাছটোত সোমাইছে তাই। মেইন গেটৰ ওচৰতে বহুত গাড়ীৰ ভিৰ। পুৰণিবোৰৰ লগতে নতুনবোৰো আহিছে। নতুন

Kaushik

আশা, নতুন উছাহেৰে। যিদৰে সন্ধ্যাও আহিছিল যোৱা বছৰ। পাৰ হৈ যোৱা বছৰটোৰ কথা ভাবিলেই বুকুখনৰ পৰা কান্দোন এটা উজাই আহে তাইৰ। বিদিশা বা, ৰীণা বাহঁত আজি নাই। আজি দেউতাকে কোৱাৰ পাছতো ৰাববি নানিলে তাই। কাক খোৱাব নো? চিনাকি মুখবোৰ আঁতৰি গ'লে চিনাকি চহৰখনো যেন অচিনাকি হৈ পৰে। নাহৰবোৰ, কাঞ্চনবোৰ নাইবা এই ওখ ওখ বিল্ডিংবোৰ সকলো একেই আছে। পাৰ হৈ যোৱা জাক জাক যৌৱনৰ স্মৃতি বুকুত সাৱটি আজিও থিয় দি আছে ইহঁতবোৰে।

"ৰুণ, এন্ট্ৰী কৰি আহ যা।"

গাড়ীখন ব্ৰেক মাৰি ৰখাই দেউতাকে কওঁতেহে তন্দ্ৰা ভাঙিল সন্ধ্যাৰ। ইয়াত সোমালেই এন্ট্ৰী কৰিব লাগে। গেটখনত সোমায়েই বাওঁফালে থকা ছিকিউৰিটী ডেস্কখনৰ ফালে গাড়ীৰ দুৱাৰখন খুলি নামি গ'ল সন্ধ্যা। ডেস্কখনৰ সমুখত দুই তিনিজন মান আছেই। এন্ট্ৰী কৰি থকাৰ কিছুমান নতুন। চাৰিওফালে ঘূৰি ঘূৰি চাইছে। সেউজীয়াবোৰৰ মাজত বিভোৰ হৈছে। কোনোবাই আকৌ এন্ট্ৰী কৰি নিজৰ গাড়ীত উঠাৰ আগেয়ে সমুখৰ বাটটোৰ ফটো তুলিছে। হয়, আৰম্ভণিবোৰ এনেদৰেই হয়। সন্ধ্যাৰো হৈছিল। পেনটো লৈ দেউতাকৰ নাম, গাড়ীৰ নম্বৰ আদি লিখি ছিকিউৰিটীয়ে দিয়া কাগজখন হাতত লওঁতেই কোনোবাই মাতিলে,

"আহি পালা?"

সন্ধ্যাই ঘূৰি চাই দেখে অনুৰণ। মুখত এমোকোৰা হাঁহি লৈ তাই সুধিলে,

"অঁ এইয়া। তুমি? এতিয়া পাইছা হি?"

"নাই, মই ৰাতিপুৱাই পালোঁহি। নাইট চুপাৰত আহিলোঁ।" সি ক'লে।

"শকত হৈ আহিছা দেই মানুহটো ঘৰত খাই খাই।" সন্ধ্যাই হাঁহি হাঁহি ক'লে। অনুৰণেও হাঁহিছিল।

"যাওঁ দিয়া অনুৰণ। দেউতা গাড়ীতে আছে। লগ পাম ইভনিং।" তাই গাড়ীৰ ফালে আগুৱালে। অনুৰণেও হাঁহি এটাৰে ক'লে, "যোৱা।"

কিয় জানো সন্ধ্যাৰ মনটো অলপ ফৰকাল যেন লাগিল। হয়তো চিনাকি মুখ এখন দেখাৰ বাবেই। তাইৰ মনত পৰিছিল, ঘৰলৈ যাওঁতেও অনুৰণক এইখিনিতেই এৰি

Kaushik

গৈছিল। এতিয়াও ইয়াতে পালে তাক। দেউতাকে গাড়ীখন সোৱণশিৰীৰ ফালে ল'লে। ফোনটো বাজিল সন্ধ্যাৰ। অভিমন্যুৰ ফোন,

"কলিজা, আহিলা নে নাই?"

ফোনতে চিঞৰ মাৰি সুধিছে সি।

"জাষ্ট কেম্পাছ পাইছো। তই?"

"কলীয়া ভোমোৰা সাৰিছো আৰু। পামগৈ। লগ পাম দে।"

"অকে" বুলি ফোনটো কাটিলে তাই। গাড়ীখন সোৱণশিৰীৰ সমুখত ৰ'ল। হোষ্টেলত মানুহৰ ভিৰ। নতুনকৈ অহা ছোৱালীবোৰে ভৰাই তুলিছে কমন ৰুমটো। লগত বেগ বোৰ। ছিকিউৰিটীৰ পৰা ৰুমবোৰৰ ছাবিবোৰ লৈ নিজৰ নিজৰ ৰুমত সোমাইছেগৈ। সন্ধ্যাই এবাৰ ছোৱালী জাকলৈ চালে। ইয়াৰ মাজৰে কোনোবা এজনী চাগে তাইৰো ৰুমমেট হ'ব। কেনেকুৱা বা হ'ব? বিদিশা বাৰ দৰে হ'ব নে?

"আইজনী, আহি পালা?" ছিকিউৰিটী মাহীৰ মাতত সন্ধ্যাৰ ভাৱত যতি পৰিল। সেমেকা হাঁহি এটাৰে মাহীক মাত লগাই ভিতৰলৈ সোমাল তাই। তাইক দেখি মাহীৰো চাগে ৰীণাহঁতলৈ মনত পৰিছে। সঁচাই ইমান কোঁহালৰ মাজতো যেন সোৱণশিৰী আজি ইমান নিৰ্জন।

উইংটোলৈ সোমাই যাওঁতে বুকুখন কঁপি উঠিছে সন্ধ্যাৰ। চকুৰ কোণদুটিও সেমেকিছিল। প্ৰতিখন ৱালতে যেন এতিয়াও বাজি আছে ৰীণা বাৰ চিঞৰবোৰ। ৰুমটো খুলিলেই যেন বিদিশাৰ হাঁহিভৰা মুখখন দেখা পাব। খালী ৰুমটোত বস্তুবোৰ ভৰাই সাৰি মচি ল'লে তাই। বেৰত বিদিশাই লগাই যোৱা প্ৰাকৃতিক দৃশ্যৰ ফটোখন দুলি আছিল। দেউতাক যোৱাৰ পাছত গাটো ধুই ৰুমৰ বিচনাতে পৰি আছিল সন্ধ্যা। বুকুখন গধুৰ। উশাহবোৰ দীঘল। তাই প্ৰথম আহোঁতেও চাগে ইমান অকলশৰীয়া যেন লগা নাছিল। ভাগৰত চকু দুটা জাঁপ খাইছিলহে মাত্ৰ। হঠাৎ ধমহকৈ শব্দ কৰি খুলি দিলে কোনোবাই দুৱাৰখন। ঘপকৈ বিচনাত উঠি বহিল সন্ধ্যা। এগাল মান বেগ আৰু বস্তুৰে সোমাই অহা ছোৱালীজনীয়ে চিঞৰি আহিছিল,

"আহি গ'লো তহঁতৰ TU লে, দেখিলিতো?"

সন্ধ্যা একে কোবে বিচনাৰ পৰা নামি আহিল। ছোৱালীজনীলৈ চাই আচৰিত হৈ সুধিলে,

"পখী? তই?"

"নাই, মই নহয়। এইটো মোৰ ভূতহে। গৰুজনী, সুধিছে চা।"

বেগবোৰ এটা এটাকৈ কাষৰ বিচনাত থৈ ছোৱালীজনীয়ে ক'লে। তাৰ পাছতে দুয়োজনীৰ গিৰ্জনি মৰা হাঁহিয়ে ক'ৰবালে উৰুৱাই নিছিল অলপ আগতে ৰুমটোত থকা নিস্তব্ধতা খিনি।

পখীপ্ৰিয়া বৰা। সন্ধ্যাৰ নতুন ৰুমমেট। নতুন চিনাকি পিছে নহয়। পখী আচলতে সন্ধ্যাহঁতৰ গাঁৱৰেই। সন্ধ্যাহঁতৰ ঘৰৰ পৰা অলপ আঁতৰতহে মাত্ৰ। বয়সত সন্ধ্যাতকৈ ডাঙৰ যদিও সিহঁত সমনীয়াৰ দৰেই। গতিকে নাম ধৰিয়ে মাতে সন্ধ্যাই। পখীয়ে ছচিয়লজীত এম এৰ এণ্ট্ৰেন্স দিছে বুলি সন্ধ্যাই গম পাইছিল। কিন্তু বন্ধৰ শেষৰ ফাললৈ তাই পেহীয়েকৰ ঘৰত থকাৰ বাবে পখীয়ে ছিট পোৱাৰ কথা গম নাপায়। আৰু আচৰিত ধৰণেৰে সেই পখীয়েই তাইৰ এতিয়া ৰুমমেট। ঘৰৰে ছোৱালীজনী ৰুমমেট হ'লহি যেতিয়া সন্ধ্যাক আৰু কোনে পাই।

"জাননে, যেতিয়া ছিকিউৰিটীৰ তাত লিষ্টত ৰুম নম্বৰ 132 আৰু ৰুমমেটৰ নামত তোৰ নামটো দেখিছোঁ মোৰ কিবা জাঁপ মাৰিবলৈয়ে মন গৈছিল বে।"

পখীৰ কথাত হাঁহি হাঁহি সন্ধ্যাই ক'লে,

"সঁচাকে মাৰি দিব লাগিছিল আকৌ।"

"ৰহ না, আহি পাইছোঁহে। লাহে লাহে হে জাঁপবোৰ মাৰিম।"

আকৌ হাঁহি দুইজনীৰে। সন্ধ্যাৰ সম্পূৰ্ণ বিপৰীত পখী। উৎপাত, চিঞৰ বাখৰ, হাল্লা এইবোৰ নোহোৱাকৈ পখী থাকিবই নোৱাৰে। গাঁৱতো তাই "দন্দুৰী" বুলিয়েই বিখ্যাত। আগৰ এবাৰ ৰাসত গোপী নাচি থাকোঁতে পখীক ল'ৰা এটাই "অকণমান মৰম কৰি যোৱা না" বুলি জোকাইছিল। পখীয়ে শাৰীৰ পৰা ওলাই গৈ মানুহৰ সমুখতে ঠাঁছ ঠাঁছ দুটা কাণতলীয়া চৰ দি থৈ আহিছিল তাক। এই উৎপতীয়া পখীয়েই এতিয়া সন্ধ্যাৰ নতুন সংগী। প্ৰথমতেই বেগটো খুলি ৰোণাল্ডৰ ডাঙৰ ফটোখন লৈ বেৰত লগাবলৈ লাগিল পখীয়ে। ৰোণাল্ডৰ আজন্ম প্ৰেমিকা তাই। মোবাইলৰ ৱাল পেপাৰৰ পৰা ঘৰৰ ৱাল ষ্টিকাৰলৈকে ৰোণাল্ডৰ ফটোৰেই ভৰ্তি। সন্ধ্যাৰ মনত আছে, এবাৰ হেনো কলেজত পখীৰ বহীৰ মাজত ৰোণাল্ডৰ ফটো পাই কলেজৰ শিক্ষকে তাইক দুচাট মান

Kaushik

দি ফটো কেইখন লৈ গ'ল। পিছে তাইও হ'বলা কম? পিছৰ পিৰিয়ডতে গৈ মাষ্টৰৰ টেবুলৰ পৰা চকুৰ সমুখতে ফটো কেইখন লৈ আনিলে। আহোঁতে কৈ আহিল,

"পঢ়া শুনাত কিবা বেয়া দেখিলে ক'ব। কোন ছোৱালীৰ বেগত কাৰ ফটো থাকে এইবোৰ আমাৰ গাঁৱৰ বুঢ়ী কেইজনীয়ে হে খুচৰি ফুৰে। মাষ্টৰৰ কাম এইবোৰ নহয়।"

কথাষাৰ কৈয়ে গপগপাই ওলাই আহিছিল পথী। মাষ্টৰেও তাইৰ ৰূপ দেখি মুখেৰে মাত দিয়া নাছিল। পঢ়া শুনাত ক্লাছটোৰ ভিতৰতে চোকা পথীক দ্বিতীয় দিন কোনেও ৰোণাল্ডৰ ফটো লৈ একো কোৱা নাছিল। পথীৰ লগত একেলগে পঢ়া পাপৰিয়ে কৈছিল কথাখিনি সন্ধ্যাক। পথী এনেকুৱাই। ভুল দেখিলে কাৰো বয়স নাইবা পদবীলৈ নাচাই, এফালৰ পৰা ধুইহে যায়। সন্ধ্যাই মনতে ভাবিছিল, তেজপুৰ ইউনিভাৰ্চিটীৰ কঠিন নিয়মত মনে মনে থাকিব নে পথী?

"ঐ, আহ না। অলপ হেল্প কৰ।"

পথীৰ মাতত তাইৰ বিচনা আৰু ৱাৰ্ড্ৰবটো চিজিল কৰাত সহায় কৰিবলৈ উঠি গ'ল সন্ধ্যা।

Kaushik

ৰুমত বস্তুকেইটা থৈয়ে অভিমন্যুয়ে ময়ূঁৰলৈ ফোন লগালে। অলপ সময়ৰ পাছতে ময়ূঁৰ আৰু অনুৰণ তাৰ ৰুম পালেহি। দুমাহৰ মূৰত লগ পোৱাৰ কথাবোৰ পাতি থকাৰ লগতে অভিমন্যুয়ে বস্তুবোৰো চিজিল লগাই ল'লে। প্ৰণয় দা যোৱাৰ পাছত এইবাৰ অভিমন্যুৰ নতুন ৰুমমেট। সি কৈয়ে আছে "এইবাৰতো ছিনিয়ৰ, জুনিয়ৰক পুৰা খটাম কামত"। তেনেকৈ কোৱাৰ কাৰণো নথকা নহয়। বেচেৰাক আগৰ ৰুমমেট প্ৰণয়ে খুব খটুৱালে। যেতিয়াই তেতিয়াই পানী আনিবলৈ পঠোৱা, দেওবাৰ ৰুম চাফা কৰোৱা আৰু যে কত কি। সি তেতিয়াই ভাবি থৈছে এইবাৰ জুনিয়ৰ আহিলেই সি সেইবোৰৰ হোৰ তুলিবই। সেইবাবে অভিমন্যুৰ ৰুমমেট হোৱাৰ দুৰ্ভাগ্যনো কাৰ হয়, সেইটোকে চাবলৈ ময়ূঁৰ আৰু অনুৰণ বহি আছিল তাৰ ৰুমত। কিছু সময়ৰ পাছত বিশ্বজিৎ আৰু বিনোদো পালেহি। সিহঁত গোটেই কেইটাৰে ৰুমমেট পুৰণা কেইজনেই থাকিব। সেইবাবে অভিমন্যুৰ নতুন ৰুমমেট কোন চাই পাৰিলে সবু সুৰাকে ইন্ট্ৰ' এটা লোৱাৰো মন। থাৰ্ড ছেম পোৱাৰ লগে লগেই ছিনিয়ৰ ছিনিয়ৰ বতাহ জাকে কোবাই থাকেই। জুনিয়ৰক যদি দম এটা দি ইন্ট্ৰ' ল'ব নোৱাৰা তুমি কিহৰ ছিনিয়ৰ হে? সেইটো

লোভতে গোটেই কেইটা এইখিনি পাইছেহি। অভিমন্যুয়ে বিশ্বজিতক সোমাই আহোঁতেই জোকালে,

"বিশ্ব, এইবাৰ ডিপাৰ্টমেন্টত জুনিয়ৰ ছোৱালীক পতাবলৈ ৰেডি হৈ আহিছা নে নাই?"

"পূৰা ৰেডি। চাবা এইবাৰ পতাইহে এৰিম।"

বিশ্বৰ কথাৰ লগে লগে অনুৰণে ক'লে,

"চাবি আকৌ, লাইব্ৰেৰীলৈ গৈ খুন্দা নামাৰিবি গে।"

লগে লগেই গোটেই কেইটাই জোৰেৰে শব্দ কৰি হাঁহি উঠিছিল। ফাৰ্ষ্ট ছেমত সন্ধ্যাক লাইব্ৰেৰীত যিখন কৰিছিল সেয়া মনত পৰিলেই হাঁহিত অৱস্থা নোহোৱা হয় সিহঁতৰ। বিশ্বজিতে ভেঁকাহি মাৰি আহিল,

"হ'ব, মোৰ কথা ভাবিব নালাগে। নিজৰটো চোৱা। এইবাৰো কাজিয়া কৰিয়ে কটাবা নে প্ৰপোজেলটো দিবা?"

বিশ্বজিতে ইংগিতত যে সন্ধ্যাৰ কথা কৈছে সেয়া কাৰো বুজিবলৈ বাকী নাছিল। সেইবাবেই বিনোদে কৈ উঠিল,

"হয় অ' অভিমন্যু। এইবাৰ যে তাইক প্ৰপোজ কৰা আৰু দেই।"

অভিমন্যুয়ে কিবা এটা ক'বলৈ লওঁতেই দুৱাৰত টোকৰ পৰাত গোটেই কেইটা সন্ত্ৰষ্ট হৈ বহিল। অভিমন্যুয়ে বিচনাত বহি এনেকুৱা কায়দাত ভৰি দুখন কাষৰ চকীখন ৰাখিলে যেন সি চাওথ ইণ্ডিয়ান চিনেমাৰ মহাজনটোহে। কাষৰ পৰা ময়ূঁৰে ক'লে,

"ঐ, নৌটংকী এৰ। ভাঁজ চা চোন তাৰ।"

"চুপ থাক। বেছি যুধিস্থিৰ নোলাবি।" বুলি ময়ূঁৰক ফুচফুচাই কৈ অভিমন্যুয়ে মাতটো গলগলীয়া কৰি ক'লে, "কাম ইন।"

তাৰ এইখন নাটক দেখি মুখত সোপা দি হাঁহিছিল বিশ্বজিতে। পিছে সিহঁতবোৰক নিৰাশ কৰি সোমাই আহিল পাটকাইৰে ৰিন্টু দা। ৰিন্টু দা মাচ কমৰ। অভিমন্যুৰ ৰুমৰ ওচৰৰে। আগৰ পৰাই তাৰ লগত ভাল। ৰিন্টুক দেখিয়ে অভিমন্যু উঠিল,

"অহ, ৰিন্টু দা। আহক আহক।"

Kaushik

বিশ্বজিতে চকী থন এৰি বিচনালৈ আহিল। ৰিন্টু দাই পিছে থিয় হৈয়ে অভিমন্যুক ক'লে,

"মই তোমাৰ ৰুমমেটক হে লৈ আহিছোঁ ৰ'বা।" লগে লগেই আধামেলা দুৱাৰখন ঠেলি ল'ৰা এজন সোমাই আহিল ট্ৰলী বেগ এটা লৈ। ওখকৈ চশমা পিন্ধা অলপ শকত ল'ৰাজনক দেখিয়েই অভিমন্যুহঁতে গম পাইছিল যে তাতকৈ ডাঙৰেই হ'ব। সিহঁতৰ সন্দেহক সঁচাত পৰিণত কৰি ৰিন্টু দাই ক'লে,

"ই মোৰ ভাল বন্ধু। আগতে কটনত একেলগেই আছিলোঁ আমি। একে বেটছৰ। এইবাৰ ছচিয়লজীত মাষ্টাৰ্চ কৰিব আহিছে।"

মাষ্টাৰ্চৰ ল'ৰা। তাৰমানে অভিমন্যুহঁততকৈ ডাঙৰ। বেচেৰাৰ জুনিয়ৰ আহিলে খটুৱাম বুলি ভাবি থকা সপোনটো নফলিওৱা দেখি বিশ্বজিতহঁতে কোনোমতেহে হাঁহিটো ৰখালে। ভিতৰি খং উঠিলেও ভদ্ৰতাৰ খাতিৰত অভিমন্যুয়ে ল'ৰাটোক নিজেই হাতখন আগবঢ়াই মাত দিলে,

"মই অভিমন্যু।"

হেণ্ডচেকটো দি ল'ৰাটোৱে গম্ভীৰ মাতটোৰে কৈছিল,

"মই প্ৰিয়ানুজ। প্ৰিয়ানুজ হাজৰিকা।"

হঠাৎ ময়ূঁৰে ক'লে,

"দাদা, আপুনি বাৰু নগাঁৱত এবাৰ তৰ্ক প্ৰতিযোগিতাৰ কৰ্মশালা এখনলৈ আহিছিল নেকি শিকাবলৈ?"

প্ৰিয়ানুজে হাঁহি মাৰি "অঁ" বুলি কোৱাত ময়ূঁৰ উঠি আহিল,

"মই ঠিকেই চিনি পাইছো আপোনাক। টিভিত আপোনাৰ টক শ্ব' বোৰো চাওঁ। সেই কৰ্মশালাখনত মইও আছিলোঁ।"

ময়ূঁৰৰ লগত আৰু কিবা কিবি পাতিছিল প্ৰিয়ানুজে। তেতিয়াহে অভিমন্যুহঁতে চিনি পাইছিল কটনৰ এটা চিনাকি নাম প্ৰিয়ানুজ হাজৰিকা অসমৰ আগশাৰীৰ তাৰ্কিক সকলৰ এজন। মাজে মাজে টিভিৰ টক শ্ব'বোৰতো ভুমুকি মাৰিছিল। বিশেষকৈ নিউজ টাইম আছামৰ "অসমাপ্ত" অনুষ্ঠানৰ পৰাই টিভিৰ পৰ্দাৰ প্ৰিয়ানুজ এখন চিনাকি মুখ। অভিমন্যুতকৈও ময়ূঁৰৰ প্ৰিয়ানুজৰ প্ৰতি আগ্ৰহ যেন বেছি আছিল।

Kaushik

প্ৰিয়ানুজক চিনাকি কৰাই দি ৰিণ্টু দা ওলাই গৈছিল। অভিমন্যুয়েও প্ৰিয়ানুজক "আপুনি ফ্ৰেচ হওঁক" বুলি কৈ অনুৰণ, বিশ্বজিতহঁতৰ লগত ময়ূঁৰৰ ৰুমলৈ ওলাই গ'ল। বাটত বিশ্বজিতে জোকালে,

"খুব ভাল হৈছে। বৰ কৈ আছিলা নহয়, জুনিয়ৰ আহিব, কামত লগাম। আহিল নে এতিয়া মাষ্টাৰ্চৰ এটা।"

বিনোদেও যোগ দিলে,

"এতিয়া ওলোটাই আকৌ তোক কামত নলগালেই হ'ল।"

অভিমন্যুয়ে একো ক'ব নাপাওঁতেই ময়ূঁৰে কৈছিল,

"সেইবোৰ একো নহয়। প্ৰিয়ানুজ দাক চিনি পাওঁ ভালকৈ মই।"

"হ'ব উকালতি কৰিব নালাগে তই" বুলি অভিমন্যুয়ে তাৰ মূৰটোত লাহেকৈ ঠেলা এটা মাৰি ক'লে। গোটেই কেইটা গৈ ময়ূঁৰৰ ৰুমত সোমালগৈ।

পখীক লৈ সন্ধিয়া এপাক ওলাই আহিল সন্ধ্যা। লগত প্ৰিয়াও। বহুদিনৰ মূৰত খোলাৰ বাবে সকলো ওলাই অহাত কেম্পাছত আজি মেলাৰ দৰে পৰিৱেশ। চিঞৰ বাখৰ, উকি, হাঁহিৰ খিকিন্দালিয়ে দুমাহৰ বাবে মৰিশালী হৈ থকা চৌহদটোক জীয়াই তুলিছিল। সন্ধ্যাৰ সেই দিনটোলৈ মনত পৰিছিল যেতিয়া প্ৰথম দিনা বিদিশাৰ লগত ওলাই আহিছিল তাই। ৰীণা বাহঁত যে "বোৱাৰী চাওঁ" বুলি ৰুমত সোমাই আহিছিল। সঁচাই পাখিলগা এই সময়বোৰ। বিদিশাহঁতৰ কথা মনত পৰাত হুঁমুনিয়াহ এটা সৰিছিল সন্ধ্যাৰ। বিদিশা বাই ফোনো কৰিছিল আবেলি। নতুন ৰুমমেট কেনেকুৱা খবৰ লৈছিল। সন্ধ্যাৰ চিনাকি ছোৱালী বুলি গম পাই আশ্বস্ত হৈছিল বিদিশা।

"ঐ, এই ভিৰ সোপা ইয়াত সদায় হয় নেকি অ'?"

পখীৰ কথাত প্ৰিয়াই ক'লে,

"সদায়েই ভিৰ হয়। খালী আজি অলপ বেছি। বন্ধ খুলিছেতো।"

Essential পাৰ হওঁতেই চিঞৰ শুনিছিল সন্ধ্যাহঁতে,

"ঐ সন্ধ্যা, ঐ ৰ ৰ।"

Kaushik

এই চিঞৰবোৰেই জীপাল কৰে essential ক। চিঞৰটো জুৰিয়ে মাৰিছিল। সন্ধ্যাহঁত বৈ যোৱাত জুৰি, নিমিষাহঁত আহি লগ হ'লহি। অতদিনৰ মূৰত লগ হৈ সিহঁতৰ আড্ডাৰ সুৰ ক'লৈকে ভাঁহিছিল কাৰো খেয়াল নাই। সন্ধ্যাই পথীৰ লগতো সিহঁতক চিনাকি কৰাই দিলে। সিহঁত প্ৰথমেই বাহিৰ পালেগৈ। পথীৰ সৰু সুৰা বস্তু দুই এটা কিনিব লগা আছিল। কিনি আহি এমিনিটীত বহিলহি সিহঁত। ঘূৰণীয়া টেবুলখন আৰু গাখীৰ চাহ কাপ। তাৰ মাজে মাজে গছ কেইজোপাৰ হুৰহুৰ বতাহ। আস, এমিনিটী এই মায়াবোৰৰ বাবেই প্ৰিয়। কথা পাতি থকাৰ মাজতে সন্ধ্যালৈ অভিমন্যুয়ে ফোন কৰিলে। সিহঁত শ্বপিং কম্প্লেক্সতে আছিল। সন্ধ্যাই এমিনিটীলৈ মাতি পঠোৱাত অভিমন্যু, অনুৰণ আৰু ৰাজদ্বীপো আহি সন্ধ্যাহঁতৰ ওচৰ পালেহি।

"ঘৰত থাকি থাকি বেছি ধুনীয়া হৈ আহিছ দেই।" সন্ধ্যাক জোকাবলৈ ক'লে অভিমন্যুয়ে। জুৰিয়ে সুযোগটো নেৰিলে,

"হওঁক দে চকুত যে পৰিল তোৰ। এইটো ছেমিষ্টাৰতে ভাল খবৰ এটা দিবি আৰু আমাক।"

কথাটো সলাবলৈ সন্ধ্যাই পথীক অভিমন্যুৰ লগত চিনাকি কৰাই দিলে। লগে লগেই অভিমন্যু আৰম্ভ হৈয়ে গ'ল,

"পথীপ্ৰিয়া? ৱাহ, কি ধুনীয়া নাম।"

পথীয়ে তাৰ সুৰতে ক'লে,

"অভিমন্যু, বৰ পুৰণা নাম। মহাভাৰতৰ যুগতে থাকিলা আৰু।"

তাই এইদৰে ক'ব বুলি অভিমন্যুহঁত কোনেও ভবা নাছিল। বেচেৰাই থতমত খালে। সন্ধ্যাই জানিছিলেই, পথীক কথা কৈ সাৰিব নোৱাৰে কোনো। তাই হাঁহি হাঁহি কৈ উঠিল,

"বঢ়িয়া পথী বঢ়িয়া দিছ।"

অভিমন্যুয়েও কৈছিল,

"আচলতে মহাভাৰত মই সৰুৰে পৰাই ভাল পাওঁ।"

Kaushik

"সাৱধানে থাকিবা দেহা। চক্ৰব্যেহুত সোমাবা নহ'লে।" এইবাৰ সন্ধ্যাই ক'লে। অভিমন্যুয়ে সন্ধ্যাৰ একেবাৰে কাষলৈ আহি তাইৰ চকুলৈ চাই নাটকৰ সংলাপৰ সুৰত ক'লে,

"এবাৰ মোৰ বাবে চক্ৰব্যেহু হৈ চোৱা না। হাজাৰ বাৰ অভিমন্যু হৈ জনম লৈ তোমাতেই শেষ হ'ম।"

লগে লগেই গোটেই কেইটাই উকি মাৰি চিঞৰি উঠিছিল,

"ঐয়ে হয়ে"

"ক্যা বাত ক্যা বাত"

"জুই জুই"

সন্ধ্যা লাজতে ৰঙা পৰিছিল। ইতিমধ্যে পখীয়েও অনুমান কৰি উঠিছিল সিহঁতৰ কথা। তাইও খোঁচ এটা মাৰিছিল ফুচফুচাইছিল,

"আমাৰ জোঁৱাই এখেতেই নেকি?"

সন্ধ্যাই "যাঃ" বুলি ঠেলা এটা মাৰিছিল তাইক। তেনেকুৱাতে সিহঁত বোৰে অৰ্ডাৰ দিয়া চাহ আহি পালে। ঘূৰণীয়া টেবুলখন চাৰিওকাষে চকীবোৰ জোৰা দি বহি আছিল সিহঁত। সন্ধ্যাৰ এফালে অভিমন্যু, আনফালে পখী। তাইৰ কাষত নিমিষা, জুৰিহঁত। অভিমন্যুৰ কাষত অনুৰণ আৰু ৰাজদ্বীপ। বাইদেউ গৰাকীয়ে আনি টেবুলত থোৱা থালিখনৰ পৰা একাপ একাপ চাহ লৈছিল সকলোৱে। চাহত চুমুক দিয়াৰ মাজতে আড্ডাও চলি আছিল। অভিমন্যুৰ নতুন ৰুমমেটৰ কথাৰ পৰা কাইলৈ কৰ্চ ৰেজিষ্ট্ৰেচনলৈ কোন কেতিয়া যাব সেয়ালৈকে আলোচনা চলি আছিল। পখীয়েও নিজৰ কথা ক'লে। অভিমন্যুয়ে গৰম চাহকাপ সন্ধ্যা আৰু তাৰ মাজতে থৈ কথা কৈ আছিল। ঠাইখিনিত লাইট নাই। এমেনিটীৰ বাৰান্দাৰ লাইটৰ পাতল পোহৰটোহে বিয়পি আছে। কথাৰ মাজতে সন্ধ্যাৰ হাতটো অভিমন্যুৰ চাহৰ গৰম কাপটোত ঠিক লাগিবলৈ লৈছিল। হাতটো লাগি উতলি ধোঁৱা ওলাই থকা গৰম চাহ কাপ তাইৰ গাত পৰিলেইহেঁতেন। তেনেকুৱাতে হঠাৎ অনুৰণে অভিমন্যুৰ আগেৰেই সন্ধ্যাৰ হাতখন থাপ ধৰিলে,

"সন্ধ্যা, চাহ আছে।"

Kaushik

এক মূহুৰ্তৰ বাবে সন্ধ্যা ৰৈ গ'ল। ৰৈ গৈছিল অভিমন্যুও। সিহঁত সাতটা নে আঠটা ল'ৰা ছোৱালী আছিল টেবুলখনত। সকলোৰে মাজত অনুৰণে সন্ধ্যাক মন কৰি আছে বুলি হয়তো অভিমন্যুয়েও বুজা নাছিল। পৰিৱেশটো পাতল কৰিবলৈ জুৰিয়ে কৈ উঠিল,

"এইজনীক এতিয়াই চাহে পুৰিলে হেঁতেন। হুঁচেই নাথাকে তাইৰ।"

সন্ধ্যাই অভিমন্যুৰ বাহুতে এচাট মাৰি ক'লে,

"এইডালে হে এই খিনিতে ৰাখি থৈছে।"

কথা আকৌ আগবাঢ়িছিল। কথাৰ মাজে মাজে আঁৰ চকুৰে অনুৰণলৈ চাইছিল সন্ধ্যাই। কিয় তাইক সকলো সময়তে আৱৰি ৰাখে সি? কিয় তাইৰ প্ৰতিটো বিপদত আগত থাকে সি? সঁচাই বন্ধু হ'লে অনুৰণৰ দৰে হ'ব লাগে। অকলেই থাকক নাইবা ভিৰৰ মাজতে, সকলোতেই যি হাত এৰি নিদিয়ে তেওঁয়েইতো আচল বন্ধু। "মই আছোঁ" বুলিতো সকলোৱেই কয়। কিন্তু তাক পালন কৰিব কেইজনে পাৰেনো? সন্ধ্যাই জানে আৰু বিশ্বাসো কৰে তাইৰ জীৱনত অনুৰণ সদায় থাকিব তাইৰ আটাইতকৈ প্ৰিয় বন্ধুৰ ৰূপত।

হঠাৎ ফৰকাল আকাশখনলৈ চকু গৈছিল সন্ধ্যাৰ। আকাশত দেখিছিল এটি পপীয়া তৰা। ক্ৰমাৎ তললৈ নামি আহিছে যেন। এবাৰ নুমাই এবাৰ জ্বলি তিৰবিৰাই আছে। অভ্যাসবশতঃ চকুটো মুদি এনেই কিবা এটা বিচাৰিলে সন্ধ্যাই। চকু মেলালৈ পপীয়া তৰাটো নাছিল। কথাত ব্যস্ত হৈছিল তাই আকৌ। সন্ধ্যাই পপীয়া তৰা বুলি ভুল কৰা জোনাকী পৰুৱাটো পৰিছিল গৈ এমিনিটীৰ সমুখৰ কাঞ্চন জোপাত।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 74

পথীৰ লগত ৰাতিটো বেছি ভাগ লেকচাৰ মাৰিয়েই পাৰ হ'ল সন্ধ্যাৰ। হোষ্টেলৰ নিয়ম, ইউনিভাৰ্চিটীৰ নিয়ম সম্পৰ্কে যিমান পাৰে তাইক বুজাই কৈছিল সন্ধ্যাই। পথীয়ে পিছে বেছি ভাগতে আপত্তিয়ে দেখুৱালে। বিশেষকৈ ইন টাইমৰ কথা শুনিয়েই যেন জাঁপ মাৰি উঠিল তাই,

"কি? নাইন থাৰ্টিত ইন টাইম? এইখন ইউনিভাৰ্চিটী নে বৰ্ডিং স্কুল বে? ক্লোজড কেম্পাছ, চব ফালে চিকিউৰিটী তাৰ পাছতো ইন টাইম কিয়? তাকো নাইন থাৰ্টিতে?"

সন্ধ্যাই শান্ত ভাৱেৰে বুজালে,

"কিয় বুলি নহয় আৰু, ছোৱালী বোৰৰ প্ৰটেকচনৰ কাৰণেই এইবোৰ ৰুল বনাইছে চাগে।"

"তেন্তে ল'ৰাবোৰৰ কিয় ইন টাইম নাই? প্ৰটেকচন অকল ছোৱালীকহে লাগে মানে? আৰে ভাই, ইমান বোৰ চিকিউৰিটী থাকোঁতে প্ৰটেকচনৰ কথা ক'ৰ পৰা আহিল ইয়াত?"

পথীৰ যুক্তিত সন্ধ্যাও শেষত অতিষ্ঠ হ'ল,

"বচ কৰ মেৰি মা। যিটো ৰুল বনোৱা আছে সেইটোৱেই ফ'ল' কৰি আহিছে চবেই। গতিকে তইও কৰিব লাগিব। বুজিলিতো?"

ভোৰভোৰাই বিচনাত উঠিল গৈ পথী। তাইক দেখি হাঁহিয়ে উঠিছিল সন্ধ্যাৰ। সঁচাই, পথীহঁতৰ দৰে মানুহ এই তেজপুৰ ইউনিভাৰ্চিটীত সঁজাত সোমোৱাৰ দৰে হৈ পৰে।

Kaushik

পাটকাইত ৰাতিলৈ কোনোবা কোনোবা ৰুমত ইন্ট্ৰ' লোৱাও আৰম্ভ হৈছিল। এবাৰত অভিমন্যুও আছিল। বিনোদৰ ৰুমতে ফাৰ্ষ্ট ছেমৰ ল'ৰা কেইটা মানক মাতি এনেই কথা বতৰা সুধি গান নাচ গাবলৈ দি আছিল সিহঁতে। তাৰে এটাই অলপ গহীনত কথা কোৱাত ধমকিও মাৰিছিল অভিমন্যুয়ে। কিছু সময় বেছ হাঁহিৰেই পাৰ হৈছিল। তেনেতে অনুৰণৰ ফোন আহিল। অভিমন্যুয়ে ফোনটো উঠাই ক'লে,

"কোৱা অনুৰণ।"

"সোনকালে ৰুমৰ পৰা ওলোৱা ৱাৰ্ডেন আহিছে। গাড়ী পাৰ্ক কৰিছে আগফালে।"

অনুৰণৰ কথাটো শুনাৰ লগে লগেই "ঐ ৱাৰ্ডেন আহিছে, পলা" বুলি একেদৌৰে ৰুমটোৰ পৰা ওলাল গোটেই কেইটা। সিহঁতৰ ইন্ট্ৰ' তাতেই শেষ হ'ল। ৰুমত সোমাইহে উশাহ ল'লে অভিমন্যুয়ে। অনুৰণলৈ "Thanks" বুলি মেচেজ এটা দিলে। সঁচাই ভাল বচাই

আছে তাক অনুৰণে। অনুৰণৰ ৰুমৰ খিৰিকীৰ পৰা আগফালখন দেখি বাবেই বাচিল আজি সি।

প্ৰিয়ানুজে বিচনাতে পৰি লেপটপ চাই আছিল। অভিমন্যু দৌৰা দৌৰিকৈ সোমোৱা দেখি "কি হ'ল" বুলি সোধাত কথাখিনি ক'লে অভিমন্যুয়ে। প্ৰিয়ানুজৰ হাঁহি উঠিছিল। কটনত সিহঁতক লোৱা ইন্ট্ৰ'ৰ বৰ্ণনা দিছিল সি। অভিমন্যুয়ে মুখ মেলি শুনিহে গৈছিল। তাৰ আধাও ইয়াত নহয়, তেওঁ সিহঁত পলাব লাগে। উপায় নাই, কাৰণ TU এনেকুৱাই। প্ৰিয়ানুজৰ লগত ঘৰুৱা কথাও পাতিছিল অভিমন্যুয়ে। ঘৰত কোন কোন আছে নাই আদি। কথা পতাত প্ৰিয়ানুজো অভিমন্যুৰ দৰেই। আগৰ ৰুমমেটটোৰ দৰে গোমোঠা নোহোৱাত ভালেই পালে অভিমন্যুয়ে। কথা পতাৰ লগ এটা হ'ব অন্ততঃ।

ৰাতিপুৱা সোনকালেই সাৰ পালে সন্ধ্যাই। পথীকো জগালে তাই। আজি কৰ্চ ৰেজিষ্ট্ৰেচন। এই কামটো বৰ আমনিদায়ক। একেখিনি কথাই চাৰিখন ফৰ্মত লিখি ৱাৰ্ডেনৰ পৰা HOD লৈকে চাৰিটা মান চাইন ল'ব লাগে। চাইন ল'বলৈ লাইনত ৰৈ থাকোঁতেই গোটেই বেলাটো যায়।

গাটো ধুই আহি ৰুমত সোমাই পথীক দেখিয়ে হাঁহিত থাকিব নোৱাৰা হ'ল সন্ধ্যা। হাঁহি হাঁহিয়ে সুধিলে তাই,

"ঐ পাগলী, কি পিন্ধিছ এইটো? এডভাৰ্টাইছমেন্ট নেকি?"

হাঁহি উঠিবৰ কথাই। পথীয়ে জিনচৰ লগত এটা বগা ৰঙৰ টপ পিন্ধিছিল। আৰু টপটোত ক'লা ক'লা আখৰেৰে ডাঙৰকৈ লিখা আছে,

"I AM SINGLE"

সন্ধ্যাৰ হাঁহি দেখি পথীয়েও হাঁহি হাঁহিয়ে ক'লে,

"ইয়েচ। একদম চাইনবোৰ্ড আঁৰি লৈছো। তেতিয়াহে যদি কোনোবা ল'ৰা এটা পতে মোলে।"

"তোৰ যে নহয়। আচৰিত মানে তই পথী।"

কৈ কৈ মূৰ আঁচুৰি কাপোৰ পিন্ধাত লাগিল সন্ধ্যা। তাৰ পাছতে ব্ৰেক ফাষ্ট কৰি প্ৰিয়াকো লগত লৈ ডিপাৰ্টমেন্ট পালেহি।

Kaushik

সন্ধ্যাহঁতৰ ডিপাৰ্টমেন্টৰ বিল্ডিংটো সলাইছিল। অকল সিহঁতৰটোৱে নহয়, এডুকেশ্যন, কালচাৰেল ষ্টাডিছ, হিন্দী আৰু ছচিয়লজী গোটেই কেইটা ডিপাৰ্টমেন্ট অৰ্থাৎ গোটেই স্কুল অৱ হিউমেনিটিছ এণ্ড ছচিয়েল ছায়েন্স উঠাই অনা হৈছিল নতুন বিল্ডিংটোলৈ। পুৰণাটোত ৰৈ গৈছিল অসমীয়া অধ্যয়ন কেন্দ্র আৰু ৱমেন ষ্টাডিছ এণ্ড ডিষ্টেন্স লাৰ্ণিং চেন্টাৰটো। পুৰণি বিল্ডিংটোৰ পৰা কেই খোজ মান আহিয়েই এইটো। দুয়োটা বিল্ডিং একলগ কৰিছে মাজৰ পুখুৰীটোৱে আৰু শাৰী শাৰীকৈ থকা ওখ গছবোৰে। পাৰত থকা গছবোৰৰ বাবে গোটেই পুখুৰীটোৱেই সেউজীয়া হৈ থাকে। বগা আৰু ৰঙা ৰঙৰ নতুন বিল্ডিংটো কোনো অট্টালিকাতকৈ কোনো গুণেই কম নহয়।

সন্ধ্যাহঁত কৰ্চ ৰেজিষ্ট্ৰেচনৰ বাবে আহি বাহিৰত ৰৈ চাই আছিল বিল্ডিংটো। ভিতৰলৈ সোমোৱা বাটটোৰ দুয়োকাষে চাইকেলবোৰ শাৰী শাৰীকৈ থোৱা আছে। ভিতৰত সোমায়েই এটা প্ৰকাণ্ড ঘূৰণীয়া কোঠা। তাৰ কাষে কাষে ডিপাৰ্টমেন্টবোৰ আছে। সোমায়েই সোঁফালে সন্ধ্যাহঁত ইংলিছ এণ্ড ফৰেইন লেংগুৱেজৰ ডিপাৰ্টমেন্ট, বাওঁফালে ছচিয়লজী আৰু এডুকেশ্যন, সোঁফালে আৰু কিছু আগবাঢ়িলেই কালচাৰেল ষ্টাডিছ আৰু কাষতে হিন্দী। আচৰিত হৈছিল সন্ধ্যাহঁত। কি যে আচৰিত কায়দাৰে বনাইছে এই প্ৰকাণ্ড বিল্ডিংটো। ইয়াৰ এটা বিশেষত্ব এয়ে যে প্ৰতিটো ডিপাৰ্টমেন্ট দেখাত সাইলাখ একেই। অৰ্থাৎ ইংলিছৰ ফালে ক্লাছৰুম, হেডৰ ৰুম আৰু বাকী প্ৰফেচৰৰ কেবিন যিধৰণেৰে আছে ঠিক সেই একেদৰেই একেটা শৈলীতে বাকীকেইটা ডিপাৰ্টমেন্টৰ ফালেও আছে। তাতে গোটেই খিনি এক ঘূৰণীয়া আকাৰত থকাৰ বাবে চাইন বোৰ্ড আছে যদিও খেলিমেলি লাগি যায়। ঘূৰি পকিও যেন বাৰে প্ৰতি একেটা জেগাতে ওলোৱাৰ দৰে হয়। কাৰণ তলাতল ঘৰৰ দৰে ইয়াত চব ফালে একেই। মুঠতে গোটেই বিল্ডিংটো দেখি সন্ধ্যাৰ সেই ইন্দ্ৰপ্ৰস্থত মায়াসুৰে পাণ্ডৱ আৰু দ্ৰৌপদীৰ কাৰণে সাজি উলিওৱা মায়ামহললৈ মনত পৰিছিল। দুৰ্যোধন আৰু শকুনিৰ দৰে তাত বাট নেহেৰোৱালেই ৰক্ষা।

ভিতৰলৈ সোমায়েই প্ৰিয়াই সন্ধ্যাক কৈছিল,

"ঐ সন্ধ্যা, ক'ত সোমালোহি ঐ? চব দেখোন খেলি মেলি।"

সন্ধ্যা নিজেও চিন্তাত পৰিছিল যদিও প্ৰিয়াক ওলোটাই ক'লে,

Kaushik

"হেই, তলাতল ঘৰৰ দেশৰ ছোৱালী হৈ এইবোৰলৈ কিয় ভয় কৰিছ? একো নাই দুদিনতে চিনি পাই যাম চব।"

তেজপুৰ ইউনিভাৰ্চিটীত বহু কেইটা ডিপাৰ্টমেণ্ট থকাৰ বাবে বিল্ডিঙো সৰহ, কিন্তু সন্ধ্যাহঁত এটা কথাত নিশ্চিত হৈছিল এইটোৰ দৰে ডাঙৰ দ্বিতীয়টো বিল্ডিং গোটেই কেম্পাছত নাই। সঁচাই আটক ধুনীয়াকৈ সজাইছিল বিল্ডিংটো। প্ৰতিটো ৰুমতে প্ৰজেক্টৰ লগোৱাৰ সুবিধা লগতে বহল বেলকণি আৰু এয়াৰ কণ্ডিচনো আছে। কিন্তু ইয়াৰ মাজতো সন্ধ্যাৰ সেই পুৰণা বিল্ডিংটোৰ ক্লাছৰুমৰ পৰা দেখি থকা কৃষ্ণচূড়া জোপালৈহে মনত পৰিছিল। সন্ধ্যা কেতিয়াবা খিৰিকীৰ কাষত বহিলে যে চেঁচা বতাহ জাকত কৃষ্ণচুড়াৰ পাহি এটি দুটি তাইৰ কোলাতে পৰিছিলহি, খিৰিকীখনত উঠি যে ঘৰচিৰিকা নহ'লে শালিকীজনীয়ে কিচিৰ কিচিৰ মাতে সেইবোৰলৈহে মনত পৰিছিল সন্ধ্যাৰ। সেইবাবে নতুন বিল্ডিঙৰ ফুৰ্তি তাইৰ মুখত নাছিল। বাকীবোৰে ফটো তুলি থকাৰ বিপৰীতে তাই অফিচৰ পৰা কোৰ্চ ৰেজিষ্ট্ৰেচনৰ ফৰ্ম লৈ ফিল আপ কৰিবলৈ লাগিল। এইবাৰ পেপাৰ বেছি সিহঁতৰ। আগৰ বাৰ ৰিজাল্টো বৰ বিশেষ ভাল নহ'ল তাইৰ। যেনে তেনেহে ছিক্স পইণ্টাৰটো ৰৈছে। আচলতে এই ভাৰ্চিটী উইক বুলিয়েই পঢ়া শুনা বহুত ক্ষতিও হৈছিল।

"ঐ, এক্সট্ৰা পেন আছে নি?"

ফৰ্মখন লিখি থাকোঁতেই কাৰোবাৰ মাতটো শুনি মূৰ উঠালে সন্ধ্যাই। অনুৰণ ৰৈ আছিল সমুখত। "অ আছে" বুলি বেগৰ পৰা পেন এটা লৈ দিছিল তাক। পেনটো লৈ কাষৰ বেঞ্চখনতে বহি লিখিবলৈ লৈছিল সিও। সন্ধ্যাৰ মনত পৰিল, সেই যে প্ৰথম দিনা তাৰ পৰা হোৱাইট নাৰ খুজিছিল তাই। সেই অচিনাকী কথা নোকোৱা ল'ৰাটোৰ পৰা আজি তাইক আটাইতকৈ ভালকৈ বুজি পোৱা চিনাকি ল'ৰাটোলৈকে কিমান যে কাহিনী। অচিনাকী বোৰো এনেকৈয়ে চিনাকি হৈ উঠে চাগে। হৃদয়ে ছবি আঁকি যায় মনগহনত। ফৰ্মখন ফিল আপ কৰিয়ে পুৰণা বিল্ডিংটোলৈ গ'ল সন্ধ্যা। সিহঁতৰ ৱাৰ্ডেন জুপিতৰা মেম অসমীয়া চেণ্টাৰতে আছে চাগে। সন্ধ্যাক দেখিয়েই এমোকোৰা হাঁহিৰে খা খবৰ সুধিলে মেমে। শিক্ষকৰ এই আপোনতা খিনিয়ে যথেষ্ট এগৰাকী শিক্ষাৰ্থীৰ বাবে। কিন্তু বৰ দুখজনক ভাৱে সৰহ সংখ্যকে ইয়াতো কৃপণালি কৰে। সন্ধ্যাৰ ভাগ্য ভাল যে ৱাৰ্ডেন মেমক ইয়াতে পাইছে। নহ'লে কিছুমানে ৱাৰ্ডেনৰ চাইন বিচাৰি সৌ ইঞ্জিয়াৰিঙৰ ফালেও দৌৰিব লাগে। তাকো কেনেবাকৈ ৱাৰ্ডেন নাথাকিলেতো শেষেই। খাপ পিটি বহি থাক আৰু। সঁচাই এই কোৰ্চ ৰেজিষ্ট্ৰেচন বোলা বস্তুটো বৰ অশান্তিকৰ।

Kaushik

ৱাৰ্ডেনৰ চাইনৰ পাছতে আকৌ কোৰ্চ ইন্সট্ৰাক্টৰৰ চাইন, তাৰ পাছত হেডৰ। গোটেই কেইটা চাইন লৈ আজৰি হৈ ওলাই আহে মানে দুপৰীয়াই হৈছিল। পখীও তাইৰ লগতে ওলাই আহিল। পখীহঁতৰ আকৌ CBCT ও লাগে। মানে নিজৰ ইচ্ছা মতে বেলেগ ডিপাৰ্টমেন্টৰ পেপাৰ এখন ল'ব লাগে। সন্ধ্যাহঁত আণ্ডাৰ গ্ৰেজুৱেট থিনিৰ বাবে নহয়, মাষ্টাৰ্চৰ বাবেহে। এই CBCT বিচাৰি তৎ নোহোৱা হয় নতুনকৈ অহাবোৰৰ। কিন্তু পখী বিন্দাছ। সন্ধ্যাই বাৰে বাৰে কোৱা সত্বেও তাই কৈছে,

"মই যে ডিপাৰ্টমেন্টৰ দুৱাৰে দুৱাৰে ঘূৰিব নোৱাৰোঁ। দুদিন ৰৈ চাওঁ, ক'ৰবাত সোমাই যাম পাছত।"

সন্ধ্যা আচৰিত হয়, কি ছোৱালী বাৰু এই? ডিপাৰ্টমেন্টৰ বাহিৰতে অভিমন্যু আৰু জ্যোতিপৱনক পালে। সিও BA BEd ৰেই। দুয়োটাৰে দৌৰা দৌৰি। ৰ'বলৈ সময় নাই। "CBCT বিচাৰি ফুৰিছোঁ ৰহ" বুলি দৌৰিলে অভিমন্যু। আণ্ডাৰ গ্ৰেজুৱেটৰতো CBCT নালাগে। এইডাল কিয় দৌৰি ফুৰিছে? সন্ধ্যাই পাছতহে গম পালে। BA BEd ৰ হেনো থাৰ্ড ছেমৰ পৰাই CBCT লাগে। কি যে নিয়মবোৰ, এনেয়ে সিহঁতৰ পেপাৰ বেছি। আকৌ নো কিয় CBCT দিব লাগে? তাকো দিছে যেতিয়া আগতীয়াকৈ কওঁক। এতিয়া ৰেজিষ্ট্ৰেচন ফৰ্মখন দিবলৈ যাওঁতেহে কৈছে হেনো। অভিমন্যুহঁত BA BEd ৰ ফাৰ্ষ্ট বেটছ। গতিকে যত মানে সমস্যা আছে চব সিহঁতৰ মূৰতে পৰিছে। পখীহঁতৰ চিন্তা নাই, কাৰণ মাষ্টাৰ্চ থিনিৰ বাবে CBCT ৰ পেপাৰ বহুত। ল'লেই হ'ল এখন। কিন্তু BA BEd আৰু BSc BEd ৰ বাবে মাত্ৰ কেইখন মান চিলেক্টেড পেপাৰহে আছে। তাতে ছিট পালেতো পালেই, নাপালে শেষ। সেইবাবেই BA BEd ৰ অভিমন্যু, জ্যোতিপৱন, মেঘালী, নেহাহঁত উশাহ নোলোৱাকৈ দৌৰিছে। সিহঁতৰ কাম হওঁতে আবেলিয়েই হ'ল গে হেনো। তিনি মান বজাত হে অভিয়ে ফোন কৰি কথাখিনি ক'লে সন্ধ্যাক। Value Education পেপাৰখন ল'লে সি CBCT হিচাপে। ঘৰৰ পৰা আহিয়ে কোৰ্চ ৰেজিষ্ট্ৰেচনৰ দিনাই এই দৌৰা দৌৰি আৰু ব্যস্ততাবোৰেই যেন আগলি বতৰা দি দিয়ে যে আৰম্ভ হৈ গ'ল। তাৰ পাছতে কেতিয়ানো ছেমিষ্টাৰটো ওলাই যায় গমেই পোৱা নাযায়।

পিছদিনাৰ পৰাই ক্লাছ আৰম্ভ। TU ৰ ক্লাছ বুলি ক'লে জনা সকলে জানে। আৰম্ভণি বুলি ৰেহাইও নাই। পৰীক্ষা আহেহে লাগে। তাৰ মাজতেই ফ্ৰেচাৰ্ছ বোৰো হৈ গ'ল। ডিপাৰ্টমেন্টৰ ফ্ৰেচাৰ্ছ integrated 5th ছেমৰ থিনিয়েহে আগভাগ লৈ পাতে। গতিকে তাত পইছাটো দিয়া আৰু যোৱাৰ বাহিৰে সন্ধ্যাহঁতে বিশেষ একো কৰিব লগা হোৱা নাই।

Kaushik

অহা বছৰ হে সিহঁতে পাতিব লাগিব। পিছে হোষ্টেলৰ ফ্ৰেচাৰ্ছত লাগিব লগা হ'ল তাই। এইবাৰ হোষ্টেলৰ প্ৰিফেক্ট ভাস্বতী হ'ল। এছিচটেণ্ট প্ৰিফেক্ট পল্লৱী আৰু কংকনা। আটাইকেইজনীয়ে সন্ধ্যাৰ ভাল চিনাকি। সেইবাবে ফ্ৰেচাৰ্ছৰ আয়োজনত তাইও লাগি দিলে। কাকো নক'লেও সেই কেইদিন সন্ধ্যাৰ আকৌ ৰীণা বাইঁতলৈ চেৰেং চেৰেংকৈ মনত পৰিছিল। ফ্ৰেচাৰ্ছৰ দিনা বিদিশাই ফোনো কৰিছে। ফোনতেই উচুপিছিল তাই। সঁচাই, হোষ্টেলৰ দিনবোৰৰ নিচিনা একোৱে হ'ব নোৱাৰে জীৱনত। হোষ্টেলৰ পাছতে জেনেৰেল ফ্ৰেচাৰ্ছো পাৰ হ'ল। সন্ধ্যাই পথীক কৈছিল, যোৱাবাৰ তাই গান গোৱাৰ কথা। সময়বোৰ পাৰ হৈ থকাৰ লগে লগে যেন আগৰ কথাবোৰো সন্ধ্যাৰ মনলৈ ছবিৰ দৰে ঘূৰি আহিছিল।

ক্লাছৰ মাজতে আজিকালি সন্ধ্যাহঁতৰ এটা নতুন অভ্যাস আৰম্ভ হৈছে। ডিপাৰ্টমেণ্টৰ কেণ্টিনত আড্ডা মৰা। তেজপুৰ ইউনিভাৰ্চিটীৰ কেম্পাছৰ আটাইতকৈ ভাল লগা কথা এইটোৱে যে ইয়াত আড্ডা মৰা ঠাইৰ অভাৱ নাই। আড্ডাৰ কেন্দ্ৰ সদৃশ এমিনিটী নাইবা essential বাদ দিলেও বয়জ হোষ্টেলৰ আগৰ পুলকেইটাৰ পৰা বাছ ষ্টপ বোৰলৈকে, চপিং কম্প্লেক্সৰ কাষৰ ষ্টেপৰ পৰা মহামায়া লৈকে, কেফেটেৰিয়াৰ পৰা কে.এফ লৈকে মুঠতে অগণন। ভাল মনে মিলা লগ কেইজন মান হ'লে প্ৰতিটো সন্ধিয়াই মেহফিল জমাব পাৰি কেম্পাছত। তাৰ মাজতে নতুনকৈ যোগ হৈছে হিউমেনিটিজৰ নতুন বিল্ডিংটোৰ কেণ্টিন খন। বিল্ডিংটোত সোমায়েই সোঁফালে এডুকেশ্যন ডিপাৰ্টমেণ্টটো পাৰ হৈয়ে কেণ্টিনলৈ যায়। বাটটোতে সোঁফালে বয়জ আৰু বাওঁফালে লেডিজ টয়লেট। সেইয়া পাৰ হৈয়ে একা প্ৰকাণ্ড ৰুম। ৰুমটোৰ মূৰতে চাহ কফিৰ লগতে বিভিন্ন পেকেটেৰে দোকান খন আৰু কাষতে জেৰক্স আৰু প্ৰিন্টিঙৰ মেচিন। প্ৰথম কেণ্টিনখন দেখিয়েই সকলো ষ্টুডেণ্টে স্বস্তিৰ নিশ্বাস এৰিছিল। অকল চাহ নাইবা কফিকাপৰ কাৰণেই নহয়, সৰু জেৰক্স নহ'লে প্ৰিণ্ট আউট এটা উলিয়াবলৈকো সিহঁত চপিং কম্প্লেক্স দৌৰিব লগা হয়। এতিয়া একেটা বিল্ডিঙতে কৰিব পাৰিব যেতিয়া আৰু কি লাগে। ৰুমটোত দোকানৰ লগতে চাৰিজনীয়া টেবুল চকী কেইবা খনো আছে। গতিকে সময় অসময় বুলি নহয়, তাত কোনোবা নহয় কোনোবা থাকেই। কোনোবাই যদি অফ ক্লাছত তাতেই হাঁহিৰ আড্ডা মাৰে কোনোবাই আকৌ হেডফোন লগাই তাতেই কিতাপো পঢ়ে। ষ্টুডেণ্টৰ উপৰিও প্ৰফেচৰ সকলেও আহি কেণ্টিনতে দুই এষাৰ কথা পাতেহি। হিউমেনিটিজ বিল্ডিঙৰ পাঁচটা ডিপাৰ্টমেণ্টৰ ষ্টুডেণ্টৰ মিলনভূমি বুলিয়ে ক'ব পাৰি কেণ্টিন খনক।

Kaushik

সেইদিনাও আনদিনাৰ দৰে সন্ধ্যা দহ বজাৰ ব্ৰেকটোত কেন্টিনলৈ আহিছিল প্ৰিয়া আৰু জুৰিৰ লগত। সকলোৰে ব্ৰেক দিয়াৰ বাবে কেন্টিনত এই সময়ত খুব ভিৰ হয়। জুৰিহঁতে চাহ কফি নাখাই এনেই আড্ডা মাৰিবলৈ অহাৰ বাবে চিধাই টেবুল এখন বাচি লৈ বহিল গৈ। সন্ধ্যাই দোকানত হৈ থকা ভিৰটোৰ মাজতে সোমাই কফি কিনিবলৈ ৰ'ল। কমেও বিছটা মান ল'ৰা ছোৱালীয়ে ঠেলা হেঁচা কৰি আছিল সেইখিনিত। কোনোবাই কফি, কোনোবাই পেটিছ, কোনোবাই কিবা পেকেট বিচাৰি দোকানত থকা ছোৱালীজনীক চিঞৰি আছে,

"বা, কফি" "বা, মিঠাই দুটা" "বা, চিপছ এটা দিব কৈছিলোঁ"

সন্ধ্যাও তাৰ মাজতে যেনে তেনে সোমাই ৰৈছে। এইসোপাৰ মাজত যে আজি তাই কফি নিব পাৰিব ঠিক নাই। প্ৰায় পাঁচ মিনিট মানেই হ'বৰ হ'লহি। সন্ধ্যাক কফি দিয়াৰ পাল অহাই নাই। দোকানৰ অকলশৰীয়া ছোৱালী জনীয়ে নো কিমান চম্ভালিব আৰু। উপায় নাপাই সন্ধ্যা উভতি আহিব লৈছিল। তেনেতে পিছফালৰ পৰা অনুৰণে মাত দিলে,

"লোৱা"

সন্ধ্যাই ঘূৰোঁতেহে দেখিলে কফি একাপ তাইলৈ আগবঢ়াই দিছে অনুৰণে। তাই ক'লে,

"হেই, নালাগে তুমি খোৱা। মই ভিৰ কমিলে ল'ম।"

"মোৰ কাৰণেও আছে। তোমাক লাইন পাতি থকা দেখি দুকাপ কফি লৈ আনিছিলোঁ।"

সিটো হাতত থকা কফি কাপ দেখুৱাই অনুৰণে ক'লে। হাঁহি এটা মাৰি সন্ধ্যাই তাৰ পৰা কফিৰ কাপটো ল'লে। ইতিমধ্যে কেন্টিনৰ টেবুলৰ চকীবোৰৰ এখনো খালী নাছিল। জুৰিহঁতৰ ওচৰতো সীমা আৰু নিমিষাহঁত বহিলহি। গতিকে সন্ধ্যা আৰু অনুৰণে কফিকাপ লৈ ৰুমটোৰ সিফালৰ দুৱাৰখন কাষ পালেগৈ। বৃহৎ ৰুমটোৰ সোমোৱা দুৱাৰখনৰ উপৰিও আন এখন দুৱাৰ আছে। এইখনেৰে বাছ ষ্টেণ্ড আৰু কোৱাৰ্টাৰ বোৰলৈ যোৱা ৰাস্তাটো দেখি থাকে। ৰাস্তাটোৰ কাষতে থকা গছবোৰৰ পৰা পাতল বতাহ এচাটিও বলি থাকে এইখিনিত। সন্ধ্যা গৈ দুৱাৰ খনতে ভেঁজা দি ৰ'ল। মেলি থোৱা দুৱাৰখনৰ সিপাৰৰ পৰা অহা পুৱাৰ কোমল ৰ'দখিনিয়ে আলফুলে চুমা দিছিলহি সন্ধ্যাৰ মুখখনত। অনুৰণো তাইৰ কাষতে থিয় দি ৰ'ল। ৰুমটো যথেষ্ট ডাঙৰ হোৱাৰ বাবে কেন্টিনৰ হাই হুৰুমিবোৰ ইয়ালৈ অস্পষ্ট কোঢ়ালৰ দৰে হৈ আহে।

Kaushik

ৰাতিপুৱাৰ ৰ'দ আৰু পাতলীয়া বতাহ জাকৰ মাজতে কফিত চুমুক দিছিল সিহঁতে। বতাহে কোবোৱা সন্ধ্যাৰ চুলি কেইডাল তাই মাজে মাজে কাণৰ কাষলৈ নিছিল। নীৰৱতা ভাঙি অনুৰণে ক'লে,

"কেন্টিন খন হোৱাৰ বাবে বহুত সুবিধা হৈছে কিন্তু।"

"কিয়? চব ডিপাৰ্টমেণ্টৰ ছোৱালী চাই থাকিব পাৰিছা কাৰণে ন?"

সন্ধ্যাৰ চকুত দুষ্টালিৰ হাঁহি। অনুৰণে অলপ সময় তাইলৈ চাই গহীন ভাৱে ক'লে,

"বেলেগ কথা নাই আৰু ন?"

লগে লগে সন্ধ্যাই খিলখিলাই হাঁহি উঠিল। তাক এই কাৰণেই জোকাই ভাল লাগে তাইৰ।মুখখন অকণমান ফুলাই যে গহীনকৈ কথাটো কয়। সৰু ল'ৰাটোৰ দৰে মুখখন চাবলৈকে তাই জোকাই লয়। হাঁহি হাঁহি ক'লে তাই,

"আই ঐ, খং উঠিছে চোৱা আমাৰ ল'ৰাটোৰ। ধেমালি কৰিছোঁ অ' বাবা।"

তাইৰ কথাৰ সুৰটোত অনুৰণেও হাঁহিলে। ৰ'দটো আহি সন্ধ্যাৰ চকুত পৰিছিলহি। কথা পাতি থকাৰ লগতে এখন হাতেৰে চকুকেইটা ৰ'দৰ পৰা ঢাকি ধৰিছিল তাই। কথাৰ মাজতে অনুৰণ তাইৰ কাষৰ পৰা আহি সমুখত ৰৈ দিলেহি। ৰ'দটো আঁৰ হৈ পৰিল এতিয়া। অনুৰণৰ ছাঁটোৱে আৱৰি লৈছিল সন্ধ্যাক। ঘপকৈ সি সমুখলৈ আহি যোৱাত তাই ক'লে,

"এইখিনিলে আহি গ'লা যে?"

অনুৰণে তাৰ শান্ত মাতটোৰে কৈছিল,

"মই থাকোঁতে ৰ'দৰ ইমান সাহস নে যে তোমাৰ চকুলৈ চাই?"

সন্ধ্যাই প্ৰায় চিঞৰাৰ দৰেই ক'লে,

"বাপ ৰে, ক্যা ডাইলগ মাৰা হে। এনেকৈ কথা কোনোবা ছোৱালীৰ আগত ক'ব নোৱাৰা হা? ডেফিনিটলি পতি গ'লহেঁতেন তোমালে।"

"তাকেই। এতিয়া মই ছোৱালীক নকৈ ল'ৰাৰ আগত কৈ আছোঁ যে ন?" অনুৰণে চকুত অলপ হাঁহি লৈ কৈছিল। লগে লগেই আকৌ হাঁহিত মুখৰ হৈছিল সন্ধ্যা। কাণৰ

Kaushik

কাষত থকা চুলিখিনি বিশৃংখল হৈ পৰিছিল। অনুৰণে মাত্ৰ মুখত আহোঁ আহোঁ কৰা হাঁহি এটাৰে চাই ৰৈছিল তাইলৈ। হাঁহি হাঁহি ঘনকৈ উশাহ লৈ সন্ধ্যাই ক'লে,

"আচৰিত একদম তুমি দেই। মোৰ আগত হ'লে পূৰা মুখ চলে, এনেই হ'লে মাত এটাও নাই।"

অনুৰণে হাঁহিৰে তলমূৰ কৰিছিল। কেন্টিনৰ হুলস্থুলটো অলপ বাঢ়ি অহাত সন্ধ্যাই সেইফালে চাই ক'লে,

"চোৱা না, ভিৰ কমাই নাই। তুমি ননা হ'লে যে কফি নাপালোৱেই হেঁতেন মই।"

অনুৰণে আকৌ শান্ত ভাৱেৰে সন্ধ্যাৰ চকুলৈ চাই ক'লে,

"আছোঁ ন মই।"

এইশাৰীটোতেই কিবা যেন হৈ যায় সন্ধ্যাৰ। কিমান বেছি মৰম থাকিলে কাৰোবাৰ চকুত চকু থৈ এইদৰে ক'ব পাৰে সেয়া অবুজ সন্ধ্যাই যে অনুভৱতো বাদেই অনুমানো কৰিব নোৱাৰে। অনুৰণে কোৱাৰ লগে লগেই তাৰ চকুলৈকে চাই সন্ধ্যাইও কৈছিল,

"জানো, তুমি থাকিবা।"

"সদায় থাকিম।"

সন্ধ্যাৰ আউলী চুলিখিনি হঠাৎ বলা পাতলীয়া বতাহ জাকে কোবাইছিল। পুৱাৰ পাতল ৰ'দটো লাহে লাহে ডাঠ হৈছিল। অনুৰণৰ গাৰ কাষেৰে অকণমান ৰ'দে আহি তাইৰ চুলি আৰু এটা চকুৰ পতাত যেন কোমল চুমা এটি যাঁচিছিল। ৰাস্তাটোৰ সিপাৰৰ কৃষ্ণচূড়া জোপাৰ নতুনকৈ ফুলিবলৈ লোৱা কলিটো বতাহত পাতলকৈ কঁপিছিল। বতাহে ঢৌ খেলা গছজোপাৰ পাতবোৰৰ আঁৰেৰে আহি ৰ'দজাকে যেন সেই ঠাইখিনিত নাচিবহে ধৰিছিল। দুৱাৰখনত এটা ফালে অনুৰণ, সমুখত সিটো ফালে সন্ধ্যা। লগতে ভাঁহি আহিছিল কেন্টিনত বাজি থকা গানটোৰ পাতল সুৰ এটা,

"নাচোঁ নাচোঁ পোহৰে,

জ্বলোঁ জ্বলোঁ সুৰুযে,

ফুলো ফুলো ফুলেও তোমাৰ কথা কয়,

আছোঁ কাষতে দুহাতে বিচাৰি চোৱা,

Kaushik

তেজে তেজে তুমি মোৰ হোৱা জুৰীয়া

মলয়াৰ দুপাখিত......."

(আগলৈ)

#নিৰিবিলি

Part 75

কেন্টিনলৈ পথী সোমাই আহিছিল। প্ৰিয়াই দেখিয়েই চিঞৰিলে,

"ঐ পথী, এইফালে আহা।"

পেটিছ এটা লৈ পথী প্ৰিয়াহঁতৰ টেবুলখন পালেগৈ। জুৰিহঁতৰ লগতো চিনাকি হ'ল। চকী এখন আনি বহি পথীয়ে সুধিলে,

"আমাৰ সন্ধ্যা ক'ত?"

"জানো, কফি আনিবলৈ গৈ মানুহ নোহোৱাই হ'ল। কেনেবাকৈ অভিমন্যুক পালে নেকি ঠিক নাই।" জুৰিয়ে হাঁহি মাৰি ক'লে।

পথীয়ে আকৌ সুধিলে,

"আটছা, এই সন্ধ্যা আৰু অভিমন্যুৰ মাজত কিবা চলি আছে নেকি বাৰু?"

"চলিতো আছেই। কিন্তু গৰু কেইটাই এটাইও মানি নলয়। কোনোবাইতো আগভাগ ল'ব লাগিব ন।" নিমিষাৰ কথাত আকৌ পথীয়ে ক'লে,

"ত' য়ে বাত হে। এইবাৰ মই আহিছোঁ নহয়। সন্ধ্যা আৰু অভিমন্যুৰ কিবা এটা গতি লগামেই চাবা।"

"কাৰ গতি লগাব অ' তই?" পথীৰ কথাটো শেষ নহওঁতেই সন্ধ্যা অনুৰণৰ ওচৰৰ পৰা সেইখিনি পালেহি। কফি খাই অনুৰণো ওলাই গৈছিল ক্লাছৰ ফালে।

"ক'ত মৰি আছিলি তই? আমাক বহোৱাই থৈ মানুহ নিজেই নাই যে?" চেলাউৰি কোঁচাই জুৰিয়ে সুধিলে। কিয় জানো সন্ধ্যাৰ অনুৰণৰ কথা ক'বলৈ মন নগ'ল। মাত্ৰ ক'লে,

Kaushik

"ভিৰ আছিল যে, আছিলোঁ ওচৰতে।"

আগতেও এনেকুৱা হৈছে। সন্ধ্যাই অনুৰণৰ কথা কাৰো আগত কোৱা নাই। আনকি অনুৰণেও। কিয় তাইও নাজানে, মাত্ৰ সিহঁতৰ বন্ধুত্বটো যেন সকলোৰে আঁৰত ৰাখিয়ে ভাল পাই সিহঁতে। গছৰ প্ৰতিপাহ ফুল বাহিৰৰ পৰা দেখিবই লাগিব বুলিতো কথা নাই। কোনোবা পাহ পাতেৰে আৱৰি থ'লেই ভাল লাগে।

"চকী এখন আনি লৈ বহ।" পথীৰ কথাত সন্ধ্যাই চকী আনিবলৈ ঠিক ঘূৰোঁতেই হঠাৎ তাইৰ হাতটো লাগি সিফালৰ পৰা আহি থকা পৰীৰ কফিকাপৰ দুটোপোল মান তাইৰ কাপোৰত পৰিল। পৰীয়ে এটা হাতত কফি লৈ আনটোৰে মোবাইল টিপি টিপি আহি আছিল। সমুখত কোন আছে তাইৰ চকুতে পৰা নাছিল। সেইবাবেই সন্ধ্যা মাত্ৰ ঘূৰোঁতেই তাই খুন্দা খালে। নিজৰ ভুলটো নামানি পৰীয়ে ওলোটাই সন্ধ্যাক টানকৈ ক'লে,

"নেদেখা নেকি হা তুমি? ক'ত থাকে চকু?"

পৰীৰ চিঞৰটোত কেন্টিনত থকা দুই একে মূৰ তুলি চাইছিল। ভুল নাছিল যদিও সন্ধ্যাই শান্ত সুৰত ক'লে,

"ছৰী দেই পৰী। তুমি পিছফালে আছা বুলি মই জনাই নাছিলোঁ। ঘূৰি দিওঁতেই হাতটো লাগি গ'ল। তুমিও অলপ চাব লাগিছিল।"

পৰীয়ে এইবাৰ আকৌ দুগুণ খঙত ক'লে,

"What do you mean by চাব লাগিছিল? মোৰেই কাপোৰত কফি পৰিল, ওলোটাই মোকেই blame দিছা?"

সন্ধ্যাৰ খং উঠিছিল যদিও সকলোৰে সমুখত তামাচা কৰিবলৈ মন নাছিল বাবেই আকৌ শান্ত হৈয়ে ক'লে,

"হ'ব দিয়া। ছৰী।"

"কি ছৰী হা? ছৰী ক'লেই কি কাপোৰৰ দাগ ভাল হৈ যাব?" পৰীয়ে যেন সন্ধ্যাক হেয় প্ৰমাণ কৰাৰ শপতহে লৈ আহিছে। অথনিৰে পৰা গোটেইখন নীৰৱ হৈ চাই থকা পথীয়ে এইবাৰ থিয় হৈ চকীখন গুৰিয়াই আগবাঢ়ি আহিল। পৰীৰ সমুখত ৰৈ গহীন মাতেৰে ক'লে,

Kaushik

"তেন্তে কি কৰিব লাগে? কাপোৰটো খুলি দিয়া, বাথৰুমলৈ নি থুকুচি দিওঁ?"

পৰীৰ চকু ডাঙৰ হৈ গৈছিল। নতুন কোনোবা ছোৱালীয়ে তাইক এনেকৈ ক'ব বুলি ভাবিবও পৰা নাছিল। সন্ধ্যাই পথীক আঁতৰাবলৈ চাইছিল,

"পথী, বাদ দে চোন এইবোৰ।"

কিন্তু নাই, এবাৰ য'ত পথী সোমাল তাৰ পৰা নিজৰ মন নোযোৱালৈকে তাই নোলাই। আকৌ পৰীক চকু পকাই ধৰিলে তাই,

"এক ত' তুমি মোবাইল টিপি টিপি আহি ৰৈ থকা ছোৱালীজনীক নিজে খুন্দা মাৰিছা। ওপৰ চে তাইক ছৰী নকৈ ওলোটাই ব্লেম দিছা? ননচেঞ্চ নেকি বে?"

পথীৰ কথাৰ সুৰ আৰু থং দেখি পৰী দুখোজ পিছুৱাই গৈছিল। সন্ধ্যাই দেখিলে যে কথা বেয়া হ'ব এতিয়া। পৰীয়ে ওলোটাই কিবা ক'ব লাগিলে এই পথীয়ে হাত তুলি দিবও পাৰে। কিন্তু তাই ভবাৰ দৰে পৰীয়ে একো নক'লে। তাইৰ কিবা কোৱাৰ সাহসো নাছিল। মাত্ৰ মাতটো সৰু কৰি সন্ধ্যাক সুধিলে,

"বেয়া নাপাবা সন্ধ্যা। মোৰ পটকৈ খং উঠি গ'ল। বাই দি ৱে এওঁ কোন নো?"

সন্ধ্যাই "একো নাই" বুলি কৈ পথীক চিনাকি কৰাই দিলে,

"এইয়া পথী। পথীপ্ৰিয়া বৰা। মোৰ নিউ ৰুমমেট।" তাৰ পাছত পথীলৈও চাই ক'লে,

"এইয়া পৰী, মোৰ ক্লাছৰে।"

পৰীয়ে যিমান পাৰে মুখত হাঁহি এটা আনিবলৈ চেষ্টা কৰি ক'লে,

"হাই পথী, নাইচ নেম। মোৰ লগত একেই অলম'ষ্ট নামটো।"

পথীয়ে হাঁহি মাৰি উত্তৰ দিলে,

"উহোঁ। একেবাৰে একেই নহয়। পৰী মানে কল্পনা। সাধুকথাৰ মিছা কিছুমান চৰিত্ৰ। আৰু পথী মানে চৰাই। আকাশত নিজৰ মন অনুযায়ী উৰিব পৰা চৰাই।"

লগে লগেই টেবুলত বহি থকা জুৰি, নিমিষাহঁতে গিৰ্জনি মাৰি হাঁহিলে। পৰীৰ মুখখন ৰঙা চিঙা হৈ গৈছিল। এনেদৰে কোনেও হয়তো তাইক কেতিয়াও কোৱা নাই। "excuse me" বুলি দাঁত কৰচি সেইখিনিৰ পৰা আঁতৰি গ'ল তাই। সন্ধ্যা আৰু পথী আহি আকৌ আড্ডাত যোগ দিলেহি। পথীৰ নতুন ক্লাছৰ কথা কৈ আছিল। কোনোবা প্ৰফেচৰৰ

Kaushik

ওপৰত হেনো ক্ৰাছেই হৈ গ'ল তাইৰ। জুৰিহঁতে হাঁহি হাঁহি শুনি আছিল। মাজতে পখীয়ে কফি একাপো আনিলে গৈ। কফি খাই কথা পাতি থাকোঁতেই অভিমন্যু পালেহি সেইখিনি।

"ৱাহ, আড্ডা জমি আছে দেখোন।"

সিহঁতৰ ওচৰ চাপি অভিমন্যুয়ে ক'লে।

"আহ আহ, তোলেকে ৰৈ আছোঁ।" জুৰিয়ে মাতিলে তাক। অভিমন্যুয়ে সন্ধ্যাক পিছফালৰ পৰা ঠেলা এটা মাৰি ক'লে,

"ঐ, উঠ। চকীখন দে।"

"বাহ, অৰ্ডাৰ চাচোন তাৰ। সৌ তাৰ পৰা আনি ল যা।" সন্ধ্যা ভোৰভোৰাই উঠিল।

"আনি ল'ব পাৰোঁ। কিন্তু মই এইখিনিত বহিব লাগে সেই কাৰণে কৈছোঁ।"

সন্ধ্যাৰ কাষতে পখী আছিল। অভিমন্যুৰ কথাটো বুজি পাই ওলাব খোজা হাঁহিটো জোৰকৈ সামৰিলে তাই। সন্ধ্যাৰ সলনি নিমিষাই আনি দিয়া চকীখনতে বহি অভিমন্যুয়ে পখীলৈ চাই ক'লে,

"বাকী কোৱা, কেনে পাইছা TU?"

"বহুত ধুনীয়া। স্পেচিয়েলি কেম্পাছটো। আই জাষ্ট লাভ ইট।" কফিত চুমুক দি পখীয়ে কৈছিল। ফটোগ্ৰাফীত চখ থকা পখী সঁচাই কেম্পাছটোৰ প্ৰেমত পৰিছিল।

"আৰু মানুহবোৰ?" অভিমন্যুৰ প্ৰশ্নত সন্ধ্যাই খঙেৰে তালৈ চালে। ইয়াৰ যে য'তে ত'তে আৰম্ভ হৈ যায়। পখীয়েও কথাটো বুজি পায়ে ক'লে,

"মানুহবোৰ হে এতিয়ালৈকে বৰ বিশেষ ভাল লগা নাই।"

"বিশেষ ভাল লাগিবলে বিশেষ সুযোগো দিব লাগিব।"

চকুকেইটাৰে হাঁহি হাঁহি অভিমন্যুয়ে কৈছিল। পখীৰো হাঁহি উঠিছিল তাৰ কথাত। তাই কিবা এটা ক'বলৈ লওঁতেই ফোনটো বাজিল। ক্লাছৰ কোনোবাই ফোন কৰি মাতিছে। পখী যাবলৈ ওলাল,

"তোমালোক বহা দেই। মই উঠোঁ। সন্ধ্যা বহ। এও অভিমন্যু, থেংক ইউ দেই।"

Kaushik

"থেংক ইউ কিয়?" অভিমন্যুয়ে সুধিলে।

"কফিত চেনি কম হৈছিল। তুমি থকাৰ কাৰণে বৰ এটা ফিল নহ'ল।" বেগটো লৈ কথাটো কৈয়ে ৰুমৰ ফালে খোজ ল'লে পখীয়ে। সন্ধ্যা, জুৰি আৰু নিমিষাৰ হাঁহিয়ে কঁপাই তুলিছিল ৰুমটো। গহীন হৈ থকা অভিমন্যুৰ মুখত গাল দুখনত চিকুটি সন্ধ্যাই হাঁহি হাঁহিয়ে ক'লে,

"কেনে? দিলে নে জেগাতে ইজ্জতটো? আৰু চেনি মাৰিবি যাকে তাকে।"

"যাহ এইজনী" বুলি তাইৰ হাতটো এৰুৱাইছিল সি। জুৰিহঁত উঠি গ'ল ৰুমলৈ। মানুহো কমিছিল কেন্টিনত। ক্লাছ আৰম্ভ হোৱাৰ সময় হৈছিল। অভি আৰু সন্ধ্যা বহি আছিল। এবাৰত সি উঠিলে,

"ব'ল। ক্লাছ ষ্টাৰ্ট হ'ব এতিয়া।"

"তই যা, মই নাযাওঁ।" সন্ধ্যাই ক'লে।

"কেলে? মেমে পাছৰ ক্লাছত গালি দিব কিন্তু।"

"দিয়ক। মোক হে দিব। তোৰ কি আহে যায়?"

"মোৰ ভাল লাগিব নেকি কিবা তোক গালি দিলে?"

অভিমন্যুৰ কথাত খঙেৰে সন্ধ্যাই ক'লে,

"মোৰ সমুখতে তই বেলেগৰ লগত চেনি খাই থাকিলে মোৰ ভাল লাগে নেকি?"

সন্ধ্যাৰ কথাত অভিমানবোৰে যেন অগা দেৱা কৰিছিলহি। মুখখনো ফুলি উঠিছিল অলপ। অভিমন্যুয়ে ক'লে,

"কথা সেইটোহে। হ'ব দে আজিৰ পৰা কাৰো লগত চেনি নাখাওঁ।"

সন্ধ্যাই তাৰ চকুলৈ চাইছিল। সি আকৌ সৰু মাতেৰে তাইৰ কাষলৈ আহি ক'লে,

"তই নথকাত হে খাম।"

হাতেৰে অভিমন্যুক জোৰকৈ ঠেলি সন্ধ্যাই কৈ উঠিল,

"যাহ। নামাতিবি মোক।"

Kaushik

অভিমন্যুৰ হাঁহি উঠিছিল। সন্ধ্যাৰ এই অভিমানবোৰেই তাৰ আটাইতকৈ ভাল লাগে। মৰমেৰে বুজালে সি,

"ধেমালিও নুবুজ নেকি? এনেই হে কৰি থাকোঁ এইবোৰ। ছিৰিয়াছলি কৰোঁ জানো ক?"

নাই, সন্ধ্যাই মুখ আন ফালে ঘূৰালে। উপায় নাপাই অভিমন্যুয়ে তাইক টান মাৰি জোৰকৈ উঠালে,

"এনেকৈ যে নাথাকিবি দেই। ধেমালিহে কৰিছিলোঁ। ব'ল এতিয়া।" বুলি তাইক পিছফালৰ পৰা ঠেলি ঠেলি ক্লাছলৈ লৈ গ'ল। সন্ধ্যাইও "এৰ মোক, এৰ বুলি কৈছোঁ নহয়।" বুলি কৈ আছিল যদিও সি ক্লাছ পোৱালেগৈ। ক্লাছৰ দুৱাৰমুখ পাই ভিতৰলৈ অলপ জোৰকৈ ঠেলা এটা মাৰি দিলে সি সন্ধ্যাক। ভাবিছিল সন্ধ্যা হয়তো ৰৈ যাব, কিন্তু মজিয়াৰ মাৰ্বলত পিছলি সন্ধ্যা আগুৱাই গৈ পৰিল গৈ সমুখৰ পৰা আহি থকা অনুৰণ গাত। সি আহি নথকা হ'লে তাই পকাত পৰিয়ে গ'লহেঁতেন। অনুৰণে দুয়োখন হাতেৰে কঁকালত ধৰি ৰখাইছিল তাইক। সন্ধ্যাই ক'ব নোৱাৰাকৈ এক অজান লাজে বুৰাইছিল তাইক। ভাগ্যে ক্লাছৰ চবেই কথা পতাত মচগুল হৈ থকাৰ বাবে এইফালে মন দিয়া নাছিল। অনুৰণৰ মুখলৈও চাব পৰা নাছিল তাই। তলমূৰ কৰিয়ে কঁপা কঁপা মাতেৰে মাত্ৰ কৈছিল,

"ছৰী অনুৰণ। এই অভিয়ে পিছফালৰ পৰা---"

কথাটো শেষ নহওঁতেই অভিমন্যু সোমাই আহি ক'লে,

"দেখিছা, ল'ৰা দেখিলেই গাতে জঁপিয়াই পৰে গৈ। মোক হে আকৌ চেনি খাওঁ বুলি গালি দিয়ে।"

অনুৰণে মুখ টিপি হাঁহিছিল। দাঁত কেইটা কৰচি খঙেৰে অভিমন্যুৰ ফালে চাইছিল সন্ধ্যাই। জ্বলা জুইত ঘিঁউ ধলাৰ দৰে সি আকৌ সুধিলে,

"কি হ'ল? মিছা কৈছোঁ নেকি কিবা?"

সন্ধ্যাই লগে লগেই "তোক আজি মই" বুলি খেদি গ'ল। অভিমন্যু সাজু হৈয়ে আছিল। লগে লগেই দৌৰ দিলে সি। ক্লাছৰ বেঞ্চবোৰত দেও দি দি দৌৰিছে সি। সন্ধ্যাইও খেদিছে পিছে পিছে। দুৱাৰমুখৰ পৰা অনুৰণে এমোকোৱা হাঁহিৰে চাই ৰৈছিল সিহঁতৰ নিষ্কলুষ ধেমালি। ভালপোৱা জনৰ হাঁহি খিনিতেই নিহিত হৈ থাকে পৃথিৱীৰ আটাইবোৰ

Kaushik

সৌন্দৰ্য্য। আৰু এই যে ভাল লগা বস্তুবোৰ দূৰৰ চাই ৰোৱাৰ মাদকতা, সি কেৱল তেওঁহে বুজি পাই যি ভালপোৱাক অন্তৰেৰে উদযাপন কৰে।

সেইদিনা জন্মাষ্টমী। যোৱাবাৰ জন্মাষ্টমীত সন্ধ্যা ঘৰলৈ গৈছিল। এই সময়খিনিত গোটেই গাওঁখনেই দ্বিতীয় বৈকুণ্ঠত পৰিণত হয়। আবেলিবোৰ জীপাল হয় নামঘৰত আইসকলৰ নামৰ সুৰত। সন্ধ্যাহঁতৰ মাক আৰু আইতাকো নিয়মিত ভাৱে নামঘৰলৈ যায়। লগতে মাজে মাজে তাইও। আইতাকে নাম দিয়ে,

"জয় জয় শংকৰ

জয় জয় মাধৱ

জয় জয় দুজনা গুৰু ঐ ৰাম ৰাম"

বাকী আইসকলে ধৰি যায়। আৰু নামৰ শেষত সেই প্ৰসাদৰ পাতখন। সৰুৰে পৰা সন্ধ্যাৰ আটাইতকৈ প্ৰিয় নামঘৰৰ পৰা আইতাকে সাঁচি অনা প্ৰসাদকেইটা, পিঠাগুৰিৰ লাৰুটো। ভাদ মাহতেই হোৱা জন্মাষ্টমী প্ৰতি বছৰে সিহঁতৰ নামঘৰত উলহ মালহেৰে পাতে। সৰুতে সন্ধ্যাক ককাকে কোৱা মনত আছে, আজি ৰাতিয়ে গোঁসাই জন্ম হ'ব। দবাপিতা বৰষুণ আহিব। নামঘৰত ৰাতি জন্মাষ্টমীলৈ যাওঁতে গাঁৱৰ প্ৰায় ভাগ মানুহেই ছাতি লৈ যায়। সেয়াই বিশ্বাস। ঘৰৰ সকলোৰে লগত সন্ধ্যাও যায়। দিহা নাম গাই থাকোঁতে তাই বাৰে বাৰে আকাশলৈ চাই। ককাকে পদ ধৰি যায়,

"ভাগিল নিহাল ভৈলা মেলান কপাট,

দেখি ভয়ে যমুনা আপুনি দিলা বাট।

বৰিষে কণিকা মেঘে ওপৰত গাজে,

ফণায়ে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে।

যশোদাৰ তৈতে উপজিলা যোগমায়া,

আতি অচেতনে নিদ্ৰা গৈলা নন্দজাঁয়া।

তাহান শয্যাত নিয়া থৈলন্ত তোমাক,

বসুদেৱে আনিলন্ত নন্দৰ কন্যাক।"

Kaushik

আৰু আচৰিত ভাৱে সঁচাকৈ কিছু সময়ৰ পাছতে কলহৰ কাণে ধলা বৰষুণো আহে। নামৰ ৰস উঠে। দবা, খোল, তাল, বৰকাঁহৰ মাতত গোটেই গাঁওখনেই ৰজনজনাই যায়। সন্ধ্যাৰ বিশ্বাস এইবোৰৰ মাজতেই গোঁসাই উপজিল। বসুদেৱে মনে মনে গকুলত থৈ আহিলে। নামৰ পাছতে প্ৰসাদ আৰু খিচিৰি। ককাহঁতে কোৱাৰ দৰে একসিদ্ধ। টকালি পাৰি খাই সন্ধ্যাহঁতে। সেই সময়বোৰ সঁচাই কি যে মনোমোহা আছিল। আজিও গাঁৱত জন্মাষ্টমী পাতিছে। নামো দিব নিশ্চয় ককাকে। কিন্তু সন্ধ্যা যাব নোৱাৰে। কাৰণ সেই এটাই, পৰীক্ষা। এই ইউনিভাৰ্চিটী খনত এই বস্তুটোৱেই কাৰো হজম নহয়। ছটা মাহৰ এটা ছেমিষ্টাৰত ছটা পৰীক্ষা কি কাৰণত পাতে বাৰু? সন্ধ্যাহঁতে ভাবে কিবা যদি চমৎকাৰ হে এই পৰীক্ষাবোৰ কমি যোৱা হ'লে। উপায় নাই, পৰীক্ষা যেতিয়া ঘৰলৈতো আৰু যাব নোৱাৰি। এইবোৰ কথাই ৰুমত পাতি থাকোঁতে হঠাৎ পখীয়েই ক'লে,

"জন্মাষ্টমী হোষ্টেলতো পাতিব পাৰি চোন।"

Kaushik

ৰুমতে প্ৰিফেক্ট ভাস্বতীও আছিল। পতাত জন্মাষ্টমী যোৱা বছৰো পাতিছিল। মানে নিয়মটো আৰু। কৃষ্ণমূৰ্তি এটা সমুখৰ ৰুমটোৰ টেবুলত থৈ তাতে ধূপ চাকি জ্বলাইছিল। কিন্তু এইবাৰ কিছু বেলেগ কৰিলে কেনে হয়? সন্ধ্যাই ভাস্বতীক কথাটো ক'লে। তথাপি আশংকা আছিল। মেমে পাৰ্মিচন দিব জানো? দুদিন পাছত পৰীক্ষা।

"মেমৰ পাৰ্মিচন অনাৰ দায়িত্ব মোৰ। তই প্লেনটো ক কেনেকৈ কি কি কৰিবি? মইতো এইবোৰ ভালকৈ নাজানোঁ।"

ভাস্বতীৰ আশ্বাসৰ লগে লগে সন্ধ্যাই উছাহেৰে কৈ গ'ল,

"দিহা নাম গাম। তাৰ পাছত প্ৰসাদ। আৰু লগতে ভোগ মানে খিচিৰি দিম। কেনে হ'ব?"

"বঢ়িয়া। ৰহ, মই কংকনাহঁতৰ লগতো পাতোঁগে।"

ভাস্বতী ওলাই গ'ল। কংকনাহঁতৰ লগত আলোচনা কৰি সিহঁতে ৱাৰ্ডেনকো ক'লে। মেমে অকল পাতিবলৈ অনুমতি দিয়াই নহয়, নিজেও আহিম বুলি কথা দিলে। সন্ধ্যাহঁতক পাই কোনে। দিনটো বুট, মগু, কল নিজেই বজাৰ কৰিলে। মেচত সেইদিনা খিচিৰি দিবলৈও ক'লে। জন্মাষ্টমীৰ দিনা সন্ধিয়া হোৱাৰ লগে লগেই সোৱণশিৰীৰ সমুখৰ বাৰাণ্ডাকণতে ওপৰলৈ যোৱা চিৰিটোৰ সমুখত থাপনা পাতিলে সিহঁতে। সিহঁতৰ হেঁপাহ

দেখি মালতী মাহী নিজেই আগবাঢ়ি আহিল নাম দিবলৈ। সন্ধ্যাহঁত দুজনী মানে চাদৰ মেখেলাও পিন্ধিছে। এজনী এজনীকৈ বহু কেইজনী ছোৱালী আহি সেইখিনি পালেহি। মাহীয়ে আৰম্ভ কৰিলে জন্মাষ্টমীৰ নাম,

"আজি ৰাতি শিলা বৰষিলে এ--

নুশুনি প্ৰজাৰে মাত,

পালি পহৰীয়া সবে নিদ্ৰা গৈলে,

উপজিলে জগন্নাথ"

লগে লগেই তাত থকা গোটেই ছোৱালীবোৰে ধৰি গৈছে। মনটো অচিন আনন্দত ভৰি উঠিছে সন্ধ্যাৰ। গাঁৱতো ককাক হঁতে নাম আৰম্ভ কৰিছে চাগে। মাহীয়ে সুৰ লগাই গাইছে,

"গোঁসাই উপজিলে কেঁৱে নাজানিলে

অকল বসুদেৱৰ বিনে,

কংসৰ ভয়তে পলুৱাই থ'লেগৈ

নন্দ যশোদাৰ ঘৰে।"

নামৰ পাগ উঠিছে। নাহোঁ বুলি ৰুমত সোমাই থকা ছোৱালীবোৰো এজনী এজনীকৈ উঠি আহিলে। ৱাৰ্ডেন মেমো আহি সিহঁতৰ মাজতে বহিলহি। সকলোৱে কোৱাত সন্ধ্যাইও এবাৰ নাম এটা দিলে,

"দধি চোৰে কৰি খালা ঐ কলীয়া

দধি চোৰে কৰি খালা,

উৰলৰ কংকালে বান্ধি থৈ আহিলোঁ

কেনেকৈ মুকলি হ'লা।

যশোৱা যশোৱা অ' আই যশোৱা

কেনুৱা কৃষ্ণ তোৰ,

কাউৰী পুৱাতে দামুৰী মেলিলে

Kaushik

দধিও কৰিলে চোৰ।"

নামৰসত সেইদিনা সঁচাই ডুব গৈছিল সোৱণশিৰী। নামৰ শেষত প্ৰসাদো বিলাইছিল। আৰু ৰাতিলৈ খিচিৰি। সকলোৰে সহযোগত খুব সুন্দৰকৈ হৈ গৈছিল কৃষ্ণ জন্মাষ্টমী। এই সৰু সৰু বস্তুবোৰেই হোষ্টেলটোক এখন সম্পূৰ্ণ ঘৰলৈ পৰিণত কৰে।

প্ৰথম পৰীক্ষাটো শেষ হোৱাৰ পাছৰ পৰাই "মিৰিজীয়ৰী"ৰ আখৰাও আৰম্ভ হৈছিল। প্ৰথম কেইদিন কিবা কাৰণত পানেই চৰিত্ৰ কৰিব লগা গাৰ্গী আহি নোপোৱাৰ বাবে তাই নথকাকৈয়ে প্ৰেকটিছ হৈ আছিল। জুৰিহঁতে দুদিন মান সন্ধ্যাকেই পানেই সজাই অভিমন্যুৰ লগত সংলাপ মাতিবলৈ দিছিল। কিন্তু সন্ধ্যাৰ আগত ট্ৰেজেডী ডায়লগ মাতিবলৈ গৈ হাঁহি ৰখাব নোৱাৰা অভিমন্যুৰ কাৰণে সেয়া বন্ধ কৰা হ'ল। সিদিনা গাৰ্গী আহি পালেহি। তাই শিখা বাৰ লগত ধনশিৰীতে আছে। শিখা বাৰ কোৰ্চ শেষ হৈছিল যদিও মিৰিজীয়ৰী শেষ নোহোৱা পৰ্যন্ত ধনশিৰীতে থকাৰ পাৰ্মিচন উলিয়াই লৈছিল। নাটকৰ আখৰাত সিদ্ধাৰ্থ আৰু শিখাক জোকাই জোকাই অৱস্থা নোহোৱা কৰিছিল সকলোৱে। সন্ধ্যাইতো "বৌ" বুলিয়ে মাতে শিখাক। তাইও বৰ মৰম কৰে সন্ধ্যাক। আখৰাৰ দিনবোৰ ভালেই গৈ আছিল। গাৰ্গী ছোৱালী জনীৰ লগত সন্ধ্যাৰ বৰ বেছি কথা নহয়। সন্ধ্যা বুলিয়ে নহয়, সিদ্ধাৰ্থ আৰু শিখাৰ বাহিৰে একমাত্ৰ অভিমন্যুৰ লগতেই যি তাই ভালকৈ কথা পাতে। সন্ধ্যাৰ তাতেই খংটো উঠে। নাটক কৰিছে বুলিয়ে ইমান লাগি থাকিব লাগে নে? সন্ধ্যা বেছি ভাগ জুৰি লিপি বা আৰু নিবেদিতা বাহঁতৰ লগতে থাকে। তাই আৰু জুৰিয়ে মিলি মিচিং বিহুবোৰ শিকাইছিল। এক কথাত ক'ব গ'লে সিহঁত "মিৰিজীয়ৰী" নাটকৰ কৰিঅ'গ্ৰাফাৰ। সকলো ঠিকেই চলি আছিল।

গাৰ্গী অহাৰ এদিন কি দুদিন হৈছিলহে। সেইদিনাও সকলো আহি পোৱাৰ পাছত আখৰা আৰম্ভ হ'ল। নিজৰ নিজৰ বস্তু তলতে থৈ থালী মঞ্চখনলৈ উঠি গৈছে সকলো অভিনেতা আৰু অভিনেত্ৰী। লগতে ডিৰেক্টৰ সিদ্ধাৰ্থ। তেনেতে মঞ্চৰ কাষতে ৰৈ থকা সন্ধ্যাৰ ওচৰলৈ আহি গাৰ্গীয়ে নিজৰ বেগটো দি ক'লে,

"সন্ধ্যা, প্ৰেকটিছ শেষ হয় মানে এইটো ধৰা চোন।"

kaushik

CSB হলটোৰ ষ্টেপবোৰ মঞ্চখনৰ পৰা ওপৰলৈ যোৱা। সন্ধ্যাই বেগটো লৈ ওপৰৰ ষ্টেপ এটাতে থ'বলৈ গ'ল। সেইখিনিতে সকলোৱে নিজৰ বেগবোৰ থৈছে। তাই গাৰ্গীৰ বেগটো থ'বলৈ নাপাওঁতেই গাৰ্গীয়ে ওচৰলৈ আহি খঙেৰে ক'লে,

"তাত থ'বতো মইও পাৰোঁ। তোমাক হাতত লৈ থাকিবলৈ দিছিলোঁ মই।"

সন্ধ্যাই বুজি নাপালে সকলোৱে বেগ তাতেই আছে। তাত থ'লে কি হয়? সেয়ে সাধাৰণ ভাৱেই তাই সুধিলে,

"কিন্তু চবেইতো থৈছে তাত?"

লগে লগেই গাৰ্গী সন্ধ্যাৰ ওপৰত গৰজি উঠিল,

"তোমাক হাতত লৈ থাকিবলৈ কৈছোঁ নাই? ইমান গধূৰ নহয় যে তুমি ল'বও নোৱাৰিবা। এটা সৰু কাম দিছোঁ তাকো কৰিব নোৱাৰা নে কি? এনেই নাচ শিকোৱাৰ নামত মুখ চুপতি মৰাৰ বাহিৰেনো আৰু কি কৰাহি প্ৰেকটিছত?"

বন্ধ হলটোত গাৰ্গীৰ মাতটো দেৱালত থেকা খাই আৰু ডাঙৰকৈ ওলাইছিল। সকলোৱে আচম্বিত দৃষ্টিৰে চাইছিল সিহঁতলৈ। খঙত চেলাউৰী থূপাই গালি পাৰি থকা গাৰ্গীলৈ চাই স্তব্ধ হৈ ৰৈ গৈছিল সন্ধ্যা।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 76

আচৰিত হৈছিল সন্ধ্যা। কি সহজতেই মানুহে মানুহক ইমান কঠোৰ ভাৱে কৈ দিব পাৰে। কাৰোবাৰ অন্তৰত আঘাত লগাকৈ কথা কোৱাৰ যেন প্ৰতিযোগিতা হে চলে আজিকালি। কিয় এজন মানুহে ভাবিব নোৱাৰে যে তেওঁৰ মুখৰ পৰা ওলোৱা এটা এটা শব্দৰ আঘাতত ধৰাশায়ী হ'ব পাৰে সমুখৰ জন। আগতে হোৱা হ'লে গাৰ্গীৰ শব্দৰ আঘাতত সন্ধ্যাও ধৰাশায়ী হ'লহেঁতেন। কিন্তু তেজপুৰৰ জীৱনে সন্ধ্যাক পদে পদে এই কথা শিকাইছিল যে শব্দৰ আঘাত শব্দৰেই দিয়া উচিত। সৰু কথাতে মানুহক আঘাত কৰা সকলক বুজাই দিয়া উচিত যে যি শুনিব পাৰে সি শুনাবও পাৰে।

গাৰ্গীয়ে সন্ধ্যাক কথাখিনি কৈ ষ্টেজৰ ফালে আগবাঢ়িছিল তেনেকুৱাতে সন্ধ্যাই সকলোৱে বেগ থোৱা ঠাইখিনিলৈ গাৰ্গীৰ বেগটো দলিয়াই দিলে। সকলোৱে ভাবিছিল যে সন্ধ্যাই হয়তো দুখেৰে অভিমন্যু নহ'লে সিদ্ধাৰ্থক গাৰ্গীৰ গোচৰ দিব। কিন্তু এইটো কাম কৰিব বুলি কোনেও ভবা নাছিল। গাৰ্গীয়ে লগে লগেই গৰজি উঠিল,

"সন্ধ্যা---"

"নিচিঞৰিবা গাৰ্গী। মেইন এক্টেচ তুমি। মাত ভাঙিলে কেনেকৈ ডায়লগ মাতিবা?"

ঠাট্টাৰ সুৰ স্পষ্ট সন্ধ্যাৰ কথাত। গাৰ্গীয়ে "তুমি মোক---" বুলি কিবা এটা ক'বলৈ লওঁতেই সন্ধ্যাই পুনৰ ক'লে,

"ৰ'বা। প্ৰথম কথাটো হ'ল, মই তোমাৰ কোনো লিগিৰা নহয়, যে বেগটো ধৰি থাকিম। আৰু দ্বিতীয় কথাটো হ'ল, মই কিবা চখত চব কাম বন এৰি ইয়াত বিয়নি মেল মাৰিবলৈ অহা নাই। মোক মাতিহে অনা হৈছে। তুমি অহা এক সপ্তাহ আগৰ পৰাই প্ৰেক্টিছত আছোঁ। গতিকে এই দুদিন হওঁতেই এইটো সুৰত মোক অন্ততঃ কথা নুশুনাবা। কাৰোবাৰ বেগ ধৰিবলৈ মই ইয়াত বহি থকা নাই।"

সন্ধ্যাৰ গম্ভীৰ কথা কেইটাত গাৰ্গীও চুপ হৈ গৈছিল। কোনে কি প্ৰতিক্ৰিয়া দিব ভাবি নাপাওঁতে সন্ধ্যাই সিদ্ধাৰ্থক "ধন দা, মই যাওঁ" বুলি কৈ হলটোৰ পৰা ওলাই আহিল। তাইৰ পিছে পিছে শিখাও লৰি গৈ বাহিৰতে তাইক আগভেটি ধৰিলে,

"সন্ধ্যা, প্লিজ এনেকৈ নাযাবা। মোৰ কথাটো শুনা প্লিজ। গাৰ্গী ছোৱালীজনী অলপ মুডীয়েই। প্লিজ গুছি নাযাবা।"

কিন্তু সন্ধ্যা কোনোপধ্যেই মান্তি নহয়।

"নহ'লে কি কৰিম শিখা বা? মানিছোঁ তাই বহুত ভাল অভিনয় কৰে। সেইবুলি কি তাইৰ এইচব সহ্য কৰিম নেকি?"

এনেকুৱাতে সিদ্ধাৰ্থও সেইখিনি পালেহি। পাইয়ে সি সন্ধ্যাক ক'লে,

"তই এনেকেও কথা ক'ব পাৰ নে ৰুণজুন? আলহী ছোৱালী জনীক এনেকৈ চবৰ আগত--"

তাৰ কথা শেষ নহওঁতেই শিখাই বাধা দি ক'লে,

Kaushik

"আপুনি ৰ'ব চোন। এতিয়া এইবোৰ গালি গালাজ কৰিব নালাগে। তাই আগতে কোৱাৰ কাৰণেহে---"

সিদ্ধাৰ্থইও লগে লগে ক'লে,

"ঠিক আছে ক'লেই যেনিবা তাই আগতে। এই অলপ ধৈৰ্য ধৰিব পাৰে নে নাই? তেতিয়া মই পাছত তাইক ক'ব পাৰিলোহেঁতেন যে তাই বেয়া কৰিছে। এতিয়া এইতো চব শেষ কৰি আহিল। সন্ধ্যাই ছৰী নোকোৱা লৈকে গাৰ্গীয়ে হেনো এক্টিঙেই নকৰে। এতিয়া ব'ল। তাইক ছৰী ক'বি। এনেও তাই তোতকৈ ডাঙৰ।"

ককায়েকেও গাৰ্গীৰ ফালে কোৱাত সন্ধ্যাৰ আৰু বেছি খং উঠিছিল। কিন্তু তাই নিজৰ মততে অটল,

"মই কোনো কাৰণতে তাইক ক্ষমা নোখোজো।"

তেনেকুৱাতে দুৱাৰমুখৰ পৰা সিহঁতৰ কথা শুনি থকা অভিমন্যু পালেহি। পাইয়ে সি সন্ধ্যাক ক'লে,

"ব'ল, তই গাৰ্গীক ছৰী ক'ব লাগিব।"

সন্ধ্যা যেন এইবাৰ কান্দো কান্দো হৈছিল। কি ককায়েক, কি অভিমন্যু সকলোৱে গাৰ্গীৰ ফালে মাত মাতিছে। তাইৰ কি একো মূল্য নাই? নিজৰ মানুহবোৰেই যেতিয়া লগ এৰা দিয়ে, পৰৰ ওচৰত কি আশা কৰিব। গাৰ্গীয়ে তাইক বেয়াকৈ কোৱাতকৈও অভিমন্যু আৰু সিদ্ধাৰ্থৰ ব্যৱহাৰত সন্ধ্যাৰ বেছি দুখ লাগিছিল। তথাপি তাই গাৰ্গীক ক্ষমা খুজিবলৈ মান্তি নহ'ল। অভিমন্যুয়ে এইবাৰ খঙেৰে ক'লে,

"তই ছৰী ক'ব লাগিব। কাৰণ মই কৈছোঁ।"

অভিমন্যুৰ এই কৰ্তৃত্বক নাকচ কৰাৰ শক্তি হয়তো সন্ধ্যাৰ নাই। অগত্যা তাৰ পাছে পাছে তাই আকৌ ভিতৰলৈ সোমাই গৈছিল। মনতে ভাবি গৈছিল গাৰ্গীক ক্ষমা খুজিয়ে তাই নাটকৰ পৰা ওলাব। আৰু কেতিয়াও অভিমন্যুক তাই আগৰ দৰে নাভাৱে। সি মাত্ৰ সুবিধা চাই মানুহ দেখি ৰং সলোৱা এটা ল'ৰা। তাৰ বাহিৰে একো নহয়। গাৰ্গীৰ ওচৰলৈ গৈ সন্ধ্যাই কৈছিল,

"ছৰী গাৰ্গী। বেয়া নাপাবা।"

Kaushik

গাৰ্গীৰ চকুৰে মুখে ফুটি উঠিছিল এক অহংকাৰ। অভিমন্যুলৈ চাই বিশেষ ভংগীমাৰে ক'লে তাই, "থেংক ইউ।"

সন্ধ্যা আঁতৰি আহিছিল। দুৱাৰমুখ পাওঁতেই অভিমন্যুয়ে মাত দিলে,

"সন্ধ্যা ৰহ। মইও যাম।"

এইবাৰ আকৌ চবৰে আচৰিত হোৱাৰ পাল। ইয়াৰ কি হ'ল আকৌ? অভিমন্যুয়ে সকলোৰে শুনাকৈ ক'লে,

"গাৰ্গী ইয়াত আলহী। তাইক টানকৈ কোৱাৰ বাবে সন্ধ্যাই ছৰী ক'লে। হৈ গ'ল। কিন্তু য'ত মোৰ সন্ধ্যাক কোনোবাই চাকৰৰ দৰে ব্যৱহাৰ কৰে, তাত মই কেতিয়াও নাথাকোঁ। নাটক কৰাৰতো প্ৰশ্নই নাহে। সিদ্ধাৰ্থ দা, জংকীৰ বাবে আন কাৰোবাক বিচাৰি ল'ব।"

গাৰ্গীয়ে অভিমন্যুৰ সমুখলৈ আহি ক'লে,

"অভিমন্যু, তুমি তাইৰ কাৰণে কিয় এইবোৰ কৰিছা? নাটকখন এৰি--"

গাৰ্গীক শেষ কৰিবলৈ নিদি অভিমন্যুয়ে ক'লে,

"গোটেই সংসাৰ খনো যদি সন্ধ্যাৰ বিৰুদ্ধে থাকে, তেতিয়াও মই তাইৰ লগতে থাকিম। আৰু এটা কথা গাৰ্গী, অহংকাৰটো অলপ কমাবা। মনত ৰাখিবা, সোণ ৰখা দোকান খনৰ তলাটো কিন্তু লোহাৰে হে বনোৱা হয়।"

কথাটো কৈয়ে সন্ধ্যাৰ হাতত ধৰি ওলাই গ'ল অভিমন্যু। সকলোৰে মাত্ৰ থৰ হৈ চাই আছিল গোটেই ঘটনাটো। সিদ্ধাৰ্থ কিংকৰ্তব্য বিমূঢ় হ'ল। সন্ধ্যাই অভিমন্যুলৈ চাইছিল। হলৰ পৰা বাহিৰ ওলাই তাক সাৱটি ধৰি উচুপিছিল সন্ধ্যাই। তাইক বুকুত সাৱটি ধৰি অভিমন্যুয়ে কৈছিল,

"কান্দিছ কিয় পাগলী? মই থাকোঁতে কোনে কি ক'ব তোক? গাৰ্গী ইয়াৰ কোনোবা ছোৱালী হোৱা হ'লে জাৰি দিলোঁ হয়। কিন্তু ইউনিভাৰ্চিটীৰ সন্মানৰ খাতিৰত একো নক'লো।"

সন্ধ্যাৰ চকুপানী থিনি মচি দি আগবাঢ়িছিল সিহঁত। এনেতে পিছফালৰ পৰা কোনোবাই মাতিলে,

"সন্ধ্যা, ৰ'বা।"

Kaushik

সিহঁতে ঘূৰি চাই দেখে গাৰ্গী ৰৈ আছিল। তাইৰ পিছত সিদ্ধাৰ্থ আৰু শিখাৰ লগতে গোটেই নাটকৰ মানুহ খিনি ওলাই আহিছিল বাহিৰলৈ। গাৰ্গী আগুৱাই গৈ সন্ধ্যাৰ হাতত ধৰি ক'লে,

"সৰুৰে পৰা যি বিচাৰিলোঁ তাকেই পালোঁ জীৱনত। স্কুলত কোনেও নামাতিলে দামী দামী পেন গিফ্ট দিম বুলি কৈ বন্ধুত্ব গঢ়িছিলোঁ। টকাৰে সকলো বস্তু কিনিব পাৰি বুলি যেন মনত সোমাই গৈছিল। আজি তোমালোকৰ মাজৰ মৰম খিনিয়ে মোক অনুভৱ কৰালে মই আচলতে কিমান দুখীয়া। কিমান অকলশৰীয়া। "জংকী" চৰিত্ৰৰ বাবে য'ত ইমানবোৰ ল'ৰাই অডিচন দিছিল, সেইটো চৰিত্ৰ একাষাৰে নকৰোঁ বুলি কৈ দিলে অভিমন্যুয়ে অকল তোমাৰ বাবে। সন্ধ্যা, মোক ক্ষমা কৰি দিয়া। ভুল হৈছিল মোৰ। আৰু কেতিয়াও মই কাকো এনে ব্যৱহাৰ নকৰোঁ।"

সন্ধ্যাৰ কোমল হৃদয়খনত গাৰ্গীৰ কথাবোৰে বাৰুকৈয়ে চুইছিল। তাইক সাৱটি ধৰিছিল সন্ধ্যাই। গাৰ্গীয়ে আকৌ কৈছিল,

"তুমি সঁচাই খুব ভাল ছোৱালী সন্ধ্যা।"

সকলো হাঁহি মুখেৰে ভিতৰলৈ গৈছিল। আকৌ আৰম্ভ হ'ল প্ৰেক্টিছ।

Kaushik

লাহে লাহে ৰাতি দেৰিলৈকে প্ৰেক্টিছ হৈছিল। আজিকালি গাৰ্গী আগৰ দৰে গোমোঠা হৈ বহি নাথাকে। সকলোৰে লগত হাঁহি মাতি কাঞ্চন নগৰীৰে বাসিন্দা হৈ পৰিছিল তাই। দেওবাৰে কেতিয়াবা সন্ধ্যাৰ লগত টাউনলৈও যায়। সন্ধ্যাৰ একেবাৰে অনুভৱ নহয় যে গাৰ্গী তেজপুৰৰ নহয় ডিব্ৰুগড়ৰ হে। কাঞ্চনৰ ৰং আৰু নাহৰৰ সুবাস যেন ক'ৰবাত এক হৈ পৰিছিল।

প্ৰেকটিছত আজিকালি খুব জমে। বিশেষকৈ থমচনে জুৰিক জোকাই জোকাই যিখন নগুৰ নাকটি কৰে সকলোৱে ভাল উপভোগ কৰে। সিদিনাই জুৰিয়ে ঐনিতমটো গাই গাই নাচটো শিকাই আছিল ছোৱালী কেইজনীক,

"আচি বিদনাম কাংকৃতাক 'মৌ:বমচুনাম আজনা' বিত্তৌৰ চুনাম কাংকৃমানৌ

আইপৌ মৌ:নাম তাতকৃতাক 'মৌ:বমচুনাম আজনা' মৌ:তৌৰচুনাম তাতকৃমানৌ"

তাৰ মাজতে তাই ছোৱালীহঁতক নচাৰ সময়ত যে মুখখন হাঁহি কৰি ফুৰ্তিৰে থাকিব লাগে তাকে বুজাই আছিল। ৰিম্পী বোলা ছোৱালীজনীৰ মুখত হাঁহি নাই বাবে জুৰিয়ে ক'লে,

"কি হ'ল ৰিম্পী? মুখ খন শুকাই আছে যে? অলপ হাঁহি মেলি থাকিব লাগে আকৌ।"

লগে লগে ষ্টেজৰ চুকত বহি থকা থমচনে চিঞৰিলে,

"চবৰে মুখ তোৰ দৰে কোমোৰা নিচিনা নহয়তো।"

লগে লগেই গোটেই জাকৰ হাঁহিৰ ৰোল। জুৰিয়ে খঙত একো নাই হৈ তাক খেদি যায়,

"তোক যে কেঁচাই চোবাম মই"

থমচনৰ দৌৰ। এই সৰু সৰু ধেমালিবোৰেই সিহঁতৰ মাজত এটা নতুন পৰিয়ালৰ সৃষ্টি কৰিছিল। তাৰ লগতে শিখাক সুযোগ পালেই "শৰ্মানী" বুলি কাট মাৰিবলৈ নেৰে অভিমন্যুয়ে। সন্ধ্যাইতো সিহঁতৰ বিয়াত কি কি কৰিব কাক কাক মাতিব সেয়াও ঠিক কৰিলে। বেচেৰা সিদ্ধাৰ্থৰ মুখখন চাব নোৱাৰা হয় তেতিয়া। শিখাও লাজতে ৰঙা পৰে। তাই বেচেৰীক চবেই "বৌ বৌ" বুলি জোকাওঁতে শিখা ইউনিভাৰ্চেল বৌ হৈ গৈছে চবৰে। কেতিয়াবা ওলোটাই শিখাইও সন্ধ্যাক অভিমন্যুৰ লগত সাঙুৰে। বেচেৰা অভিমন্যু দৌৰি পলাই। সিদ্ধাৰ্থই চিধা চিধিকৈ একো নক'লেও ইংগিতত সন্ধ্যাক মাজে মাজে জোকাই,

"মোৰ জোঁৱাই হ'লে নাটক চাটক কৰা হ'ব লাগিব দেই।" সন্ধ্যাই মাত্ৰ মিচিকিয়াই।

এইবোৰৰ মাজতে সিদ্ধাৰ্থই সিদিনা ঘোষণা কৰিলে সন্ধ্যাই নাটকত এটা চৰিত্ৰ কৰিব লাগিব। সন্ধ্যাৰ চকু কঁপালত উঠিল,

"এনেই নাটক খন ডুবাব খুজিছ নেকি তই?"

"নহয়, খুব ধুনীয়া কেৰেক্টাৰ এটা আছে। তাত তই হে মিলিবি।"

সিদ্ধাৰ্থৰ কথাত সকলোৰে সুধিলে, "কি?"

"সোৱণশিৰী"

Kaushik

সোৱণশিৰী? মানে? কোনেও বুজি পোৱা নাছিল প্ৰথমতে। সিদ্ধাৰ্থই বুজাই দিলে যে নাটকৰ প্ৰথম আৰু শেষৰ দৃশ্যটো অলপ সালসলনি কৰা হৈছে। ইয়াত সোৱণশিৰী নদীখনক মানৱী ৰূপত দেখুওৱা হ'ব। অৰ্থাৎ সোৱণশিৰীয়ে কথা ক'ব। সেই সোৱণশিৰীয়েই হ'ব নাটখনৰ সূত্ৰধাৰ। তাই কৈ যাব জংকী পানেইৰ কৰুণ গাঁথা। আৰু নাটৰ শেষ দৃশ্যত জংকী আৰু পানেইৰ নিথৰ দেহদুটা সোৱণশিৰীয়ে আঁকোৱালি ল'ব। এক কথাত চাবলৈ গ'লে কনচেপ্তটো খুব ধুনীয়া আৰু আন কমন। কিন্তু সন্ধ্যাই এই চৰিত্ৰটোৰ বাবে মান্তি হ'বলৈহে ভয় কৰিলে। গাৰ্গীয়ে কিন্তু জোৰ দিলে,

"প্লিজ সন্ধ্যা, কৰা না তুমিয়ে। তোমাৰ লগতো নাটকখন কৰা হ'ব।"

শিখাইও বুজালে,

"তোমাক সোৱণশিৰী দিয়াৰ কাৰণ আছে সন্ধ্যা। নদীৰ দৰে এক শান্ত হাঁহি আছে তোমাৰ। যিদৰে মৰমেৰে আৱৰিব পাৰা সেইদৰে খং উঠিলে ঢাঁহি মুহিও নিব পাৰা। তোমাৰ মুখখনৰ লগত সোৱণশিৰী চৰিত্ৰটো খুব ধুনীয়াকৈ মিলিব অ'।"

অভিমন্যুয়েও ক'লে,

"নাটকৰ প্ৰথম আৰু শেষত হে। বেছি সময় নাইতো। পাৰিবি।"

অৱশেষত সোৱণশিৰী হ'বলৈ সন্ধ্যা মান্তি হ'ল। প্ৰেকটিছ আৰম্ভ হ'ল সন্ধ্যাৰ। প্ৰথম দিনা তাইৰ অৱস্থা নাই। নাটক আৰম্ভণিৰ প্ৰথমটো ডায়লগ তাইৰে।

"মই সোৱণশিৰী, কত জীয়া কাহিনী বুকুত সাৱটি আজিও বৈ আছোঁ হৈ নিৰৱধি।"

এই সংলাপটো মাতোতেই এবাৰ হাঁহি এবাৰ পাহৰণিত আধা ঘন্টা মান লাগিছিল তাইৰ। শেষৰ দৃশ্যটোত জংকী আৰু পানেই আহি বহি থকা সোৱণশিৰীৰ উৰুত মূৰটো থৈ শোৱেহি। প্ৰথম বাৰ এইটো প্ৰেক্টিছ কৰোঁতে সন্ধ্যাই জাঁপ মাৰি উঠিল। সিদ্ধাৰ্থই দবিয়াই উঠিল,

"কিহে পালে তোক?"

ভুল সন্ধ্যাৰ নাছিল। এই সাতঘাটৰ সৈয়াকণী অভিমন্যুয়ে ভৰিৰ তলুৱাত কুটকুটাই দিছিল তাইৰ। কথাটো গম পাই চবৰে হাঁহিত অৱস্থা নাই। সন্ধ্যাই খঙেৰে কৈছিল,

"তই ষ্টেজত এইচব কৰিলে কিন্তু গোৰ মাৰি দিম মই। তলত পৰিবি গে।"

"হে ভগৱান, আই সোৱণশিৰীৰ মুখত এই কথা শোভা নাপাইহে।"

kaushik

গাৰ্গীয়ে সুৰ লগাই কোৱা কথাত আকৌ হাঁহিৰ ৰোল।

সময় লাহে লাহে বাগৰিছিল। নাটকলৈ আৰু বেছি দিন নাই। সকলো আয়োজন আগবাঢ়িছিল। বেদান্ত দা আৰু অনুজ দাই মিলি মিৰিজীয়ৰীৰ বাবে দুটি গান কৰিছিল। সুৰ, মিউজিক, কথা, কন্ঠ সকলো তেওঁলোকৰে। দুই এদিনতে গান দুটা উলিয়াই দিব। মৈত্ৰী নামৰ সন্ধ্যাহঁতৰ ডিপাৰ্টমেন্টৰে মাজুলীৰ ছোৱালীজনীয়ে গোটেই নাটকখনৰ বাবে কাপোৰৰ যোগাৰ কৰিছিল। মাজুলীৰ পৰা মগাই অনাইছিল মিচিং ছেটবোৰ। সন্ধ্যাৰ সাজৰ বাবেও চলিছিল বিশেষ যা যোগাৰ। পিছে সন্ধ্যাৰ সোৱণশিৰীৰ চৰিত্ৰতটোতহে কোনো উন্নতি অহা নাছিল। কিয় জানো তাই মুখৰ ভাৱত সেই সোৱণশিৰীৰ দুখ খিনি ফুটাই তুলিব পৰা নাই। এই কথাই কথা নহয় বুলি এদিন সিদ্ধাৰ্থ আৰু অভিমন্যুয়ে ঠিক কৰিলে যে এদিন অকল সন্ধ্যাকেই প্ৰেকটিছ কৰোৱা যাওঁক। সেইদিনা প্ৰেকটিছলৈ অভিমন্যুৰ লগত ময়ূৰোঁ আহিছিল। এই কেইদিন প্ৰেকটিছ বুলিয়ে তাৰ পৰা আঁতৰি থকাৰ বাবে অভিমন্যুয়ে জোৰ কৰিয়ে তাক লৈ আহিছিল। প্ৰেকটিছলৈ সেইদিনা সিদ্ধাৰ্থহঁতৰ ডিপাৰ্টমেন্টৰ মনশ্ৰী বা আৰু অপৰ্ণা বাও আহিছিল। নাটকৰ ক্ষেত্ৰত কাঢ়া মনশ্ৰী বাই উৎপাত কৰি থকা থমচনহঁতক ধমকিও মাৰিছিল,

"প্ৰেক্টিছৰ টাইমত কিহৰ হুলস্থুল?"

সন্ধ্যাই বাৰে বাৰে চেষ্টা কৰি পৰা নাছিল সেইদিনাও। কান্দোঁ কান্দোঁ হৈছিল তাই। অপৰ্ণা বাই মৰমেৰে তাইক মাতি নি চৰিত্ৰটো বুজাই দিছিল। এখন নদী, সকলোকে মৰমেৰে আৱৰি ৰখা নদী খনে যেতিয়া এটা অন্যায় দেখিও একো কৰিব নোৱাৰি নিশ্চুপ হৈ বৈ যাব কি অনুভৱ হ'ব? অসহায় ডেকা গাভৰুৰ তেজলগা শৰীৰ দুটা আঁকোৱালি ল'বলৈ কিদৰে অনুভৱ কৰিব? নাই, সন্ধ্যাই পৰা নাই। শেষত অভিমন্যুয়ে দবিয়াই উঠিছিল,

"ইমান খিনি বুজোৱাৰ পাছতো পৰা নাই, কেঁচুৱা নেকি তই?"

উফোন্দ পাতি সন্ধ্যা আগফালে ষ্টেপত বহি আছিলগৈ। ওচৰতে ময়ূঁৰ বহিল,

"খং উঠিছে?"

"মই নোৱাৰিম বুইছা ময়ূঁৰ।" সন্ধ্যা যেন ভাগৰি পৰিছিল।

"পাৰিবা। এবাৰ খোজ কাঢ়ি আহা গৈ যোৱা। এইবোৰ চিঞৰ বাখৰত সোমাই অশান্তি পাইছা। অলপ শান্ত হৈ আহা। পাৰিবা তাৰ পাছত। অভিক কি ক'ব লাগে মই ক'ম।" ময়ূঁৰে ক'লে।

সন্ধ্যা ওলাই আহিছিল চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনৰ পৰা। প্ৰেকটিছৰ হুলস্থুল, হাই উৰুমিৰ পৰা যেন কিছু আঁতৰি থাকিব খুজিছে তাই। নাই পৰা তাই সোৱণশিৰী হৈ আৱৰিব। অনুভৱ কৰিব পৰা নাই দৰদী সোৱণশিৰীৰ যন্ত্ৰণা খিনি। তাৰ বাবে কিছু সময় লাগে তাইক। কিন্তু সিদ্ধাৰ্থ আৰু অভিমন্যুহঁতক যে এবাৰতেই চব লাগে। সন্ধ্যা CSBৰ পৰা ওলাই নিৰিবিলি পালেগৈ। নিজান ঠাইটুকুৰাত জিলিৰ জি জি শব্দটো আৰু পুখুৰীটোৰ পানীৰ কলকল শব্দটোত সন্ধ্যাই কিছু প্ৰশান্তি বিচাৰি পাইছিল। এনেই মোবাইলটো উলিয়াই টিপি থাকোঁতে ঘপকৈ অনুৰণলৈ মনত পৰিল তাইৰ। তাই জানে, যেতিয়াই তাইৰ মনটো চঞ্চল হয়, অশান্তিত ভোগে খুব সুন্দৰকৈ অনুৰণে আৱৰিব পাৰে তাইক। তাই অনুৰণৰ হোৱাটচ এপত মেচেজ টাইপ কৰিলে,

"Kot asa?"

সি অনলাইনেই আছিল। লগে লগেই ৰিপ্লাই আহিল,

"Asu room te, kua"

কি ক'ব সন্ধ্যাই? তাক লগ কৰোঁ বুলি ক'ব নেকি? কি বা ভাবে আকৌ সি? আজিলৈকে তেনেকৈ লগ কৰোঁ আহা বুলি তাই মেচেজ দি পোৱা নাই অনুৰণক। নাজানে কিয় যিদৰে সংকোচহীন ভাৱে অভিলৈ মেচেজ দিব পাৰে অনুৰণলৈ নোৱাৰে চোন। কিবা অলপ লাজ, অলপ ভয়, অলপ সংকোচে বাধা দিয়ে তাইক। হয়তো লাজ, নিজৰ ওচৰত ধৰা পৰাৰ। হয়তো ভয়, অনুৰণে আমনি পোৱাৰ। হয়তো সংকোচ, সেই অনামী অনুভৱটিৰ। ভাবি থাকোঁতেই আকৌ অনুৰণৰ মেচেজ আহিল,

"Tumi kot asa?"

"Niribili t" সন্ধ্যাই দিলে।

"Goisu roba" অনুৰণৰ মেচেজত বুকুখন যেন কিবা কঁপি উঠিছিল সন্ধ্যাৰ। কেনেকৈ? মানে কেনেকৈ গম পাই এই ল'ৰাটোৱে? শিয়ঁৰি উঠিছিল সন্ধ্যা। বাৰে বাৰে বুজাই ক'লেও বুজি নোপোৱা আজিৰ পৃথিৱীত নোকোৱাকৈও বুজা কোনোবা যদি জীৱনত থাকে, তেওঁতকৈ অধিক ভাগ্যৱান আৰু কোন হ'ব পাৰে?

Kaushik

কিছু সময়ৰ পাছতে অনুৰণ পালেহি। সন্ধ্যাৰ কাষতে বহিল,

"প্ৰেকটিছ শেষ?"

"নাই।"

"তেন্তে?"

অনুৰণৰ প্ৰশ্নত নিমাত হৈ ৰ'ল সন্ধ্যা। সি আকৌ সুধিলে,

"কি হৈছে কোৱা চোন।"

সন্ধ্যা প্ৰায় ফেঁকুৰি উঠিল,

"মই পাৰা নাই অ' ৰণ। একদম পাৰা নাই কৰিব। সোৱণশিৰী হৈ জংকী পানৈক আকোঁৱালি লোৱা সেই অনুভৱটো মই বুজিয়ে পোৱা নাই। অভিহঁতে বুজাই নিদি গালিহে পাৰে মোক।"

অভিমন্যুৰ পৰা সন্ধ্যাই যে নাটক কৰিব সেই খবৰটো পাইছিল অনুৰণে। সি শান্ত মাতেৰে ক'লে,

"আচলতে নাটকখনক লৈ সিহঁতো টেনশ্যনত আছে যে। তাতে বেছি দিনতো নাইয়েই। সেইকাৰণে। ইমান নাভাবিবা। অলপ খোজকাঢ়ি আহোঁ ব'লা।"

অনুৰণৰ কথাত উঠি আহিল সন্ধ্যা। তাৰ লগে লগে খোজ কাঢ়ি আগবাঢ়ি গৈছিল SOE ৰ ফালে। ষ্ট্ৰীট লাইটে হালধীয়া ৰং সনা মায়াময় পথটোত খোজ দিছিল সিহঁতে। অনুৰণে কৈছিল,

"আৰু কোৱা, অভিমন্যুয়ে কেনেকুৱা কৰিছে?"

"বহুত ধুনীয়া কৰিছে। তাৰ এক্টিং চালে সেই সৰুতে পঢ়া মিৰিজীয়ৰী খনৰ জংকীলৈ মনত পৰি যায় জানা।" সন্ধ্যাই মুখখন কিছু উজলাই ক'লে। অনুৰণে হাঁহি মাৰি জোকাইছিল,

"আটছা, খুব মৰম ন জংকীলৈ।"

"ধেৎ, নহয় যা।" সন্ধ্যাই হাঁহিলে। ঠিক তেনেকুৱাতে গেষ্ট হাউছৰ সমুখৰ কৃষ্ণচুড়া জোপাৰ পৰা এপাহ ফুল সৰি পৰিছিল তললৈ। অনুৰণে লগে লগে ফুলপাহ গচকিবলৈ লওঁতেই সন্ধ্যাই চিঞৰি উঠিল,

Kaushik

"এই ৰ'বা ৰ'বা। নগচকিবা।"

"হেই, সৰাফুল পাহ বুটলি কি কৰিবা?" বুলি অনুৰণে ভৰিৰে গচকি মোহাৰি দিলে ফুলপাহৰ এটা পাহি। সন্ধ্যাই লগে লগে চিঞৰ মাৰি তাক ঠেলি আঁতৰাই দিলে,

"অনুৰণ---। কিবা হৈছে নেকি তোমাৰ? কৈছিলোঁ নে নাই নগচকিবা বুলি? সৰাফুল গচকিলে কষ্ট পাওঁ মই।"

অনুৰণ আঁতৰি যোৱাত ফুলপাহ আলফুলে তুলিছিল সন্ধ্যাই। অনুৰণৰ জোতাৰ আঘাতত ফুলপাহৰ এটা পাহি থেতেলা খাই গৈছিল। সন্ধ্যাৰ চকুদুটি সেমেকি আহিছিল আধামৰা যেন ফুলপাহ দেখি। এক প্ৰচণ্ড খং উঠিছিল অনুৰণলৈ। খঙেৰে কৈছিল তাক,

"এনেকুৱা বুলি ভবা নাছিলোঁ তোমাক অনুৰণ। কি পালানো ফুল পাহ গচকি?"

অনুৰণে হাঁহিৰে তাইৰ কাষলৈ আহি কৈছিল,

"গচকত মৰহা এই ফুলপাহ দেখি তোমাৰ যিটো অনুভৱ হৈছে জংকী আৰু পানেইৰ বুকুত শেল মাৰি থোৱা দেহ দুটা দেখিও সোৱণশিৰীৰ একেই অনুভৱ হৈছিল।"

সন্ধ্যাই আচম্বিত দৃষ্টিৰে চাই ৰৈছিল অনুৰণলৈ। তাৰমানে তাইক এইটো বুজাবলৈকে সি এইবোৰ কৰিছিল? অনুৰণে আকৌ ক'লে,

"যিখিনি মৰম আৰু আকুলতাৰে তুমি এই ফুলপাহক তুলি ধৰিছা সেইখিনি মৰমেৰেই নাটকত পানেই আৰু জংকী মানে অভিমন্যু আৰু গাৰ্গীক সাৱটি ধৰিবা। ভাবি ল'বা যে সিহঁতো এইদৰেই কোনোবাই গচকি মোহাৰি পেলোৱা দুপাহ সৰাফুল।"

চকুৰ ডাঁৱৰখিনি টোপাল হৈ সৰিছিল সন্ধ্যাৰ। কি ক'ব একো ভাবি পোৱা নাছিল তাই। অনুৰণে কৈ গৈছিল,

"ছৰী, তোমাক কথাখিনি বুজাবলৈ ফুলপাহ সৰাই গচকিব লগা হ'ল।"

সন্ধ্যাৰ মনত পৰিল, খোজকাঢ়ি গৈ থাকোঁতে তাই দুখোজ মান আগবাঢ়িছিল। সেই সুযোগতেই অনুৰণে ফুলপাহ সৰাই দিলে। কঁপা মাতেৰে সন্ধ্যাই ক'লে,

"অনুৰণ। কেনেকৈ পাৰা তুমি?"

অনুৰণে মাত্ৰ হাঁহিৰে ক'লে,

Kaushik

"তোমাক বুজি পাওঁতো। এতিয়া যোৰা প্ৰেক্টিছলৈ। চাবা এইবাৰ ধুনীয়া হ'ব তোমাৰ। অভিমন্যুয়েও ভাল পাব।"

মুখত এমোকোৰা হাঁহি আৰু মনটোত এক অনাবিল সতেজতা লৈ প্ৰেকটিছলৈ উভতিছিল সন্ধ্যা। ময়ূঁৰে কৈ থোৱাৰ বাবেই হ'বলা, কোনেও একো সোধা নাছিল সন্ধ্যাক। সিদ্ধাৰ্থক কৈ তাই পুনৰ নিজৰ দৃশ্যটো কৰিবলৈ ল'লে। অন্তৰৰ সমস্ত আৱেগ ঢালি সংলাপ কেইটা মাতিছিল তাই। শেষত অভিমন্যু আৰু গাৰ্গী তাইৰ উৰুত মূৰ থৈ শুই পৰোঁতে খুব আলফুলে সাৰটিও লৈছিল তাই।

"সিহঁত আজিও মোৰ কোলাতেই আছে। আজিও সিহঁতৰ কেঁচা হুঁমুনিয়াহ বুকুত সাঁচি ৰাখিয়েই বৈ আছোঁ মই সোৱণশিৰী।" সংলাপটো কওঁতে সন্ধ্যাৰ চকুৰ অশ্ৰুত অভিমন্যুৰ হাতটো পৰিছিল। হলটোত থকা সকলোৰে বাকৰুদ্ধ হৈ চাই ৰৈছিল দৃশ্যটো। শিখাই ৰখাব পৰা নাছিল চকুপানী। থমচন আৰু জুৰিয়ে হাত চাপৰিৰে ৰজনজনাই যোৰাকৈ চিঞৰিছিল,

"বঢ়িয়া সন্ধ্যা, বঢ়িয়া।"

লগে লগে থিয় হৈ অভিমন্যুয়ে সাৰটি ধৰিছিল সন্ধ্যাক,

"বহুত ধুনীয়া কৰিছ তই।"

গাৰ্গী আৰু মনশ্ৰী বাহঁতেও সন্ধ্যাক কৈছিলহি,

"সঁচাই ধুনীয়া হৈছে সন্ধ্যা।"

সিদ্ধাৰ্থ আৰু শিখাই স্বস্তিৰ নিশ্বাস এৰিছিল। সেইদিনা প্ৰেকটিছ তাতেই শেষ হৈছিল।

নাটক আহি পালেহি। বেদান্ত দাহঁতৰ গানো ওলাল। সৰুকৈ প্ৰ'ম' এটাও ছচিয়েল মেডিয়াত ৰিলিজ দিয়া হ'ল। কাইলৈ নাটক। সকলোৰে ব্যস্ততাৰ অন্ত নাই। চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱন ভৰি পৰিছে কাপোৰেৰে। মৈত্ৰীয়ে অনোৱা কাপোৰ বোৰ বিধে বিধে ভগাই দিছে সকলোকে। ৰিবি গাচেং, মিবু গালোক আদি নানা ধৰণৰ কাপোৰ। লগতে নাটকত ব্যৱহাৰ হ'ব লগা বস্তুবোৰো ইয়াতে ৰখা হৈছে। জংকী পানেই পলাই যোৱা নাওখনো সাজু। ষ্টেজৰ ওপৰতে নাও চলাই যাব জংকীয়ে। বস্তুবোৰ দেখি সকলোৰে আৰু উৎসাহ। আজি এবাৰ কে বি আৰতো প্ৰেকটিছ হৈছে। সম্পূৰ্ণ সাজ পিন্ধি, লাইট

Kaushik

মিউজিক আৰু বস্তু বোৰৰ সৈতে হৈছিল সম্পূৰ্ণ নাটকখনৰ আখৰা। মুঠ দুঘণ্টা মানেই লাগিছিল। নাই, কাৰোৰে একো খুঁত ৰখা নাই। সন্ধ্যাইও আৰম্ভণিৰে পৰা খুব ধুনীয়াকৈ কৰিছে। শেষৰ দৃশ্যত তাইৰ সংলাপে মানুহক আৱেগিক কৰিব বুলি মনশ্ৰী বাইঁতেও কৈছে। অভিমন্যু আৰু গাৰ্গীৰতো কথাই নাই। এনেকৈ চৰিত্ৰত সোমাইছে যেন সিহঁতেই আচল জংকী আৰু পানেই। জুৰিয়ে শিকোৱা মতেই ঐনিতমটো চবেই বৰ ধুনীয়াকৈ নাচিছে। আজি এবাৰ জুপিতৰা মেমো আহিছিল সকলো ঠিক মতে হৈছে নে নাই চাবলৈ। মুঠতে সকলো ঠিক হৈ আছে। এক কথাত "মিৰিজীয়ৰী" মঞ্চত উঠিবলৈ সম্পূৰ্ণ সাজু।

আজি বেছি সময় প্ৰেকটিছ নহয়। সোনকালেই যাবলৈ দিলে অভিনয় কৰা ল'ৰা ছোৱালী খিনিক। কেতবোৰ পৰামৰ্শ দি সিদ্ধাৰ্থই হোষ্টেললৈ পঠালে সকলোকে। যাওঁতেই গাৰ্গীয়ে সন্ধ্যাক কিবা কথা আছে বুলি ৰ'বলৈ কৈছিল। সকলো আগবঢ়াৰ পাছত সন্ধ্যা আৰু গাৰ্গী একেবাৰে পাছত গৈ আছিল। তাতেই গাৰ্গীয়ে ক'লে,

"সন্ধ্যা, তোমাৰ লগত মোৰ কথা এটা আছে।"

"কোৱা আকৌ। কি কথা?" সন্ধ্যাই সুধিলে।

"মানে অভিমন্যুৰ কথা।" মাতটো সৰু কৰি গাৰ্গীয়ে কৈছিল। সন্ধ্যা অলপ আচৰিতো হ'ল। গাৰ্গীয়ে আকৌ ক'লে,

"তুমি কাকো নোকোৱাতো?"

কিয় জানো কিবা এক অজান আশংকাত বুকুখন কিছু কঁপি উঠিছিল সন্ধ্যাৰ। কি ক'ব বাৰু গাৰ্গীয়ে !!

(আগলৈ)

#নিৰিবিলি

Part 77

কেনেবাকৈ বাৰু গাৰ্গীয়ে অভিমন্যুক ভাল পোৱাৰ দৰে কিবা কথা নকয়তো? তেতিয়া কি ক'ব সন্ধ্যাই? কথাটো ভাবি ভাবি তাইৰ চোন কিবা ভয় যেন হে লাগিছে।

Kaushik

"সন্ধ্যা, কি হ'ল তুমি অন্যমনস্ক হৈ গ'লা যে?" গাৰ্গীয়ে মাত দিলে।

"নাই নাই, কোৱা।" মনৰ ভাবখিনি লুকুৱাই ক'লে সন্ধ্যাই। গাৰ্গীয়ে কৈ গৈছিল লাহে লাহে,

"চোৱা সন্ধ্যা, তোমালোকক মই লগ পোৱা মাত্ৰ এমাহ মান হে হৈছে। কিন্তু এই এমাহতে তোমালোক চবেই ইমান মৰম কৰিলা যে এনেকুৱা লাগে যেন মই ইয়াতেই আছোঁ বহুত দিনৰে পৰা। কাইলৈ নাটক শেষ হোৱাৰ পাছতে মই গুছি যাম। কিন্তু নাটক খনে দিয়া এই পৰিয়ালটো সদায় মোৰ মনত ৰৈ যাব।"

সন্ধ্যাৰ মৰম লাগিল তাইলৈ। সঁচাই, ইমান কম দিনতে যে ছোৱালীজনী ইমান ধুনীয়াকৈ মিলি যাব ভবা নাছিল কোনেও। মৰমেৰে ক'লে সন্ধ্যাই,

"আমিও তোমাক কেতিয়াও নাপাহৰোঁ গাৰ্গী। আহি থাকিবা মাজে মাজে।"

গাৰ্গীয়ে আকৌ ক'লে,

"সন্ধ্যা, এই এমাহত অভিমন্যুৰ লগত বহু কথাই পাতিলোঁ। ফোনত, মেচেজত নাইবা লগ পাইয়ে। সি বহু কথাই ক'লে। কিন্তু সি কোৱা নাইন্টি পাৰচেন্ট কথায়ে কাৰ জানা?"

সন্ধ্যাই মাত্ৰ চাই ৰৈছিল গাৰ্গীলৈ। তাই কৈ গৈছে,

"কেৱল তোমাৰ। সন্ধ্যা এনেকুৱা, সন্ধ্যা তেনেকুৱা। সন্ধ্যাই এইটো ভাল পাই, সন্ধ্যাই সেইটো বেয়া পাই। আৰু যে কত কি। এইবোৰ শুনি শুনিয়ে মই তাক সিদিনা সুধিছিলোঁ যে সি তোমাক ভাল পাই নেকি বুলি।"

সন্ধ্যাৰ যেন বুকুখন চিৰিংকৈ গৈছিল। মুখেৰে একো মাত নিদিয়াত গাৰ্গীয়ে কৈ গ'ল,

"সি মোক তেতিয়া তোমাক লগ পোৱাৰ পৰা সকলো কথা ক'লে। তাৰ আগৰ ৰিলেশ্যনৰ কথাও ক'লে যে তুমি কিদৰে তাক মুভ অন কৰাত সহায় কৰিছিলা। সকলোৰেই যে তোমালোকক অনবৰতে জোকাই সেইবোৰো ক'লে। জানা সন্ধ্যা, মোৰ এনে লাগে যেন অভিমন্যুয়ে তোমাক ভাল পাই, কিন্তু কিবা ভয়ত ক'ব নোখোজে। কিন্তু মই এইটোও জানো যে সি সোনকালেই তোমাক ক'ব তাৰ মনৰ কথাবোৰ। এতিয়া তুমি কোৱা। তুমিও ভাল পোৱা নে তাক?"

Kaushik

তলমূৰ কৰি মাত্ৰ কথাবোৰ শুনি গৈ আছে সন্ধ্যা। নাজানে সন্ধ্যাই। কিন্তু চবেই যেতিয়া অভিমন্যুৰ লগত তাইক জোকাই, কিবা এটা ভাল লাগে। সিহঁতক একেলগে দেখিয়েই যে জুৰিয়ে প্ৰেমৰ কিবা গান এটা আওঁৰাই, সিহঁত একেলগে বহি থাকিলে যে চিঞৰ বোৰ আহে, প্ৰেকটিছত গাৰ্গী আৰু অভিমন্যুৰ সাৰটি ধৰা দৃশ্যটোত যে শিখা বাহঁতে তাইৰ ওচৰত আহি গল খেকাৰি মাৰেহি এইবোৰ তাইৰ ভাল লাগে। তেনেদৰেই অভিমন্যুক বেলেগৰ লগত দেখিলে তাইৰ খং উঠে, তাইক গুৰুত্ব নিদিলে তাইৰ দুখ লাগে, তাই অভিমানো কৰে আৰু তাৰ মৰমত অভিমানবোৰ গলি পৰে। যদি এইয়াই প্ৰেম, তেন্তে হয় তাইও অভিমন্যুৰ প্ৰেমত পৰিছে। সন্ধ্যাই একো নোকোৱা দেখি গাৰ্গীয়ে ক'লে,

"তুমি নক'লেও বুজি পাইছোঁ সন্ধ্যা। মাত্ৰ তুমিও নিজক বুজা।"

সিহঁত আহি সোৱণশিৰী পালেহি। সন্ধ্যাক তাতে এৰি গাৰ্গী আগুৱাই গ'ল Essentialৰ ফালে। তাতে ৰৈ আছে শিখাহঁত। এক মূহুৰ্তৰ বাবে সকলো পাহৰি সন্ধ্যাই হোষ্টেলটোলৈ চালে। "সোৱণশিৰী"। নদীৰ নামেৰে নামাকৰণ হোষ্টেলটো। আৰু সেইখন নদীয়েই হ'বলৈ ওলাইছে তাই কাইলৈ নাটকত। এখন দৰদী নদী। সকলোকে আৱৰি ৰখা, খণ্ডত ৰৌদ্ৰ ৰূপ ধাৰণ কৰা সকলোৰে চেনেহৰ "সোৱণশিৰী"।

Kaushik

পিছদিনা পুৱাৰে পৰা সকলোৰে ব্যস্ততাৰ শেষ নাই। সন্ধ্যাহঁত কোনো ক্লাছ নগ'ল সেইদিনা। ৰাতিপুৱাই জুপিতৰা মেমে ফোন কৰিছিল সন্ধ্যালৈ,

"সন্ধ্যা, মিৰিজীয়ৰী নাটখন এটা সপোন আমাৰ সকলোৰে বাবে। আৰু তুমিয়ে এই সপোনটোৰ সূত্ৰধাৰ। খুব ধুনীয়াকৈ কৰিবা। শুভেচ্ছা থাকিল।"

মেমৰ এই সৰু সৰু মৰমবোৰেই সন্ধ্যাহঁতৰ ওচৰত তেওঁক আৰু আপোন কৰি তোলে। সন্ধ্যাক শিখাই কৈছিল নাটখন প্ৰদৰ্শনৰ অনুমতিৰ বাবে জুপিতৰা মেমে বহু খিনি কষ্ট কৰিছিল। গতিকে নাটখনিক লৈ তেখেতৰ আশাও বহুত। TUSC অৰ্থাৎ তেজপুৰ ইউনিভাৰ্চিটী ছাত্ৰ পৰিষদৰ লগতে অসমীয়া অধ্যয়ন কেন্দ্ৰৰ যুটীয়া প্ৰচেষ্টাতে মঞ্চস্থ হ'বলৈ গৈ আছিল সিদ্ধাৰ্থৰ চেনেহৰ সপোনটো "মিৰিজীয়ৰী"।

সিদ্ধাৰ্থহঁত দিনটো কেবিআৰ অডিটৰিয়ামতে আছে। কেইটা মান ল'ৰাক লগত লৈ বস্তুবোৰ CSBৰ পৰা কঢ়িয়াইছে। অডিটৰিয়ামৰ গ্ৰীণৰুম ভৰি পৰিছে নানা বস্তুৰে।

মঞ্চত লাইটৰ মানুহবোৰে কাম কৰি আছিল। আবেলি তিনি মান বজাত এজন এজনকৈ অডিটৰিয়াম পালেহি। মৈত্ৰীয়ে দি থোৱা কাপোৰ খিনি লৈ সন্ধ্যাও আহিল। তাই যিহেতু প্ৰথম দৃশ্যতেই ওলাব লাগিব, তাইৰ মেক আপ আৰু ড্ৰেচ সকলোকৈ আগতেই কৰাৰ কথা। গ্ৰীণৰুমত মানুহৰ ভিৰ। ডালিমী হোৱা মাধুৰী বাও আহি পাইছেহি। তাই পিছে ৰুমতে কাপোৰ পিন্ধিয়ে আহিছে। ইয়াত মেক আপ ল'বলৈ বাক। পানেইয়ে জাৰিব লগা চাউল কেইটাৰ পৰা জংকীৰ নাওৰ বৈঠালৈকে, কুমুদৰ লাঠি ডালৰ পৰা গাছি মিৰিৰ যাঠিবোৰলৈকে সকলো যা যোগাৰ হৈছে। মৈত্ৰীয়ে এটা ৰুমত সন্ধ্যাক সোমোৱাই দুৱাৰখন মাৰি ল'লে। তাৰ পাছত তাইক পিন্ধাবলৈ লাগিল সোৱণশিৰীৰ সাজ। প্ৰথমে এটা বগা ৰঙৰ ব্লাউজ। তাৰ পাছতে এখন ডাঠ নীলা মেখেলা। মিচিং মেখেলা খনত বৰ্গৰ দৰে কেতবোৰ হালধীয়া ডিজাইন। কঁকালত মেৰিয়াই দিছে এখন ৰঙা আৰু হালধীয়া টঙালি। গাত পিঠি আৰু বুকুৰে মেৰিয়াই মিচিং মহিলাই পিন্ধাৰ দৰে পিন্ধাই দিছিল এখন পাতল নীলা চাদৰ। চাদৰ খনৰ বগা বগা ফুল খিনি সন্ধ্যাৰ বুকুতে পৰিছিল। ইয়াৰ পাছতে আৰু দুখন দীঘল চাদৰ জাঁপি সৰু ভাঁজ কৰি আধা কান্ধৰ পৰা ওলোমাই দি আধা পিঠিফালেৰে আনি হাতত ওলোমাইছিল। এই চাদৰ দুখনো গাঢ় নীলা আৰু মাজত ৰঙা হালধীয়া বুটা বছা। আৰু শেষত সন্ধ্যাৰ চুলি খিনি মেলি দি কপালৰ আগত মূৰৰ সৈতে বান্ধি দিছিল আন এখন ৰঙা আৰু বগা ৰঙৰ টঙালী। সম্পূৰ্ণ নীলা সাজেৰে সঁচাই সোৱণশিৰীয়েই যেন নামি আহিছে তেনে লাগিছিল সন্ধ্যাক দেখি। মুখত অলপ প্ৰসাধন, চকুত কাজল আৰু ওঁঠত ৰঙা ৰঙৰ বোল। সম্পূৰ্ণ সাজি হোৱালৈকে প্ৰায় ডেৰ ঘণ্টা মানেই লাগিছিল। সন্ধ্যা ৰুমৰ পৰা ওলাই অহালৈ নাটকৰ সকলো মানুহ আহি পাইছিলহি। তেজপুৰ ইউনিভাৰ্চিটীত নাটক বুলিলেই যিজন মানুহক এৰিব নোৱাৰি, সেই মেক আপ আৰ্টিষ্ট দিব্য দাও আহি পালেহি। তেওঁ অভিমন্যুক মেক আপ কৰি আছিল। সন্ধ্যা সেইখিনি পোৱাৰ লগে লগে অভিমন্যুয়ে তাইৰ ফালে হাওলি কৈছিল,

"আজি পানেইক এৰি সোৱণশিৰীকে পলুৱাই নিম নেকি ঠিক নাই।"

দিব্য দাই শব্দ কৰি হাঁহিছিল তাৰ কথাত। সন্ধ্যা আঁতৰি আহিছিল। সকলোৱে কাপোৰ পিন্ধি সাজু হওঁতে কেবিআৰৰ পিছফালে যেন এখন মিচিং গাঁও হে সৃষ্টি হৈছিল।

লাহে লাহে মানুহবোৰ আহি পাইছেহি। প্ৰেক্ষাগৃহৰ পৰা অহা হুলস্থুল আৰু চিঞৰবোৰত বুকুখন ঢপঢপাইছিল সন্ধ্যাৰ। গাৰ্গী আৰু মাধুৰী বাৰ ওলাই হোৱাত সিহঁতৰ লগতে কথা পাতি আছিল সন্ধ্যাই। পানেইৰ মাক দেউতাক তামেদ আৰু নিৰমাইৰ চৰিত্ৰ

Kaushik

কৰিব লগা হিৰণ আৰু নিবেদিতা বাৰো ওলাই হৈ গ'ল। মাত্ৰ কুমুদ হোৱা তনয়ে মেক আপৰ শেষ পৰশ লৈছে। অনুজ আৰু বেদান্ত দাইঁতে সন্ধ্যাহঁতক মাত লগাই মঞ্চৰ সমুখৰ মিউজিকৰ ওচৰত বহিল গৈ। তাৰ পৰাই চঞ্চালিব সিহঁতে। লাইটৰ মানুহো নিজৰ ঠাই পালেগৈ। এবাৰ জুপিতৰা মেম গ্ৰীণ ৰুমলৈ আহিল। তেওঁৰো দৌৰা দৌৰি। সকলো ঠিক মতে আছেনে এফালৰ পৰা পৰীক্ষা কৰিছে। সন্ধ্যাই এবাৰ আগুৱাই গৈ সেঁৱা এটা কৰিলে মেমক। মেমে মৰম কৰি মূৰত চুমা এটা খাই কৈছিল, "খুব ধুনীয়া হ'ব। ভয় নকৰিবা।" বিশিষ্ট অতিথিৰ ৰূপত অভিনেতা প্ৰাঞ্জল শইকীয়া আহি পালেহি। এবাৰ সকলোকে মাত লগাই মেম প্ৰেক্ষাগৃহলৈ সোমাল। শিখা বাই এজন এজনকৈ অভিনেতাক সুধি লৈছিল সকলোৱে নিজৰ নিজৰ ব্যৱহাৰ কৰা বস্তুবোৰ চকুত পৰাকৈ থৈছে নে নাই। ক'লা ৰঙৰ মিচিং চাদৰ মেখেলা এযোৰ পিন্ধি অহা শিখাক বৰ মৰম লাগিছে। দৰ্শকৰ উল্লাস বাঢ়ি আহিছে। চাওণ্ড বক্সত বাজি আছিল জুবিন গাৰ্গৰ "পানৈ ঐ" গানটো,

"আমাৰ মৰম কোনোৱে নুবুজিলেও নাই,

সোৱণশিৰীয়েতো জানে দিব চাগে ঠাই।"

এইশাৰী কেইটাত শিয়ঁৰি উঠিছিল সন্ধ্যা।

"কি কৰিম ধনে সোণে কাৰেং বিলাসী,

বাৰে বাৰে মাৰিলেও তইয়ে মোৰে জংকি।"

গাৰ্গী গৈ অভিমন্যুৰ কাষত ৰৈছিল। লাহে লাহে সিহঁত সকলো সলনি হৈছিল মিৰি গাঁৱৰ সৰল মানুহখিনিলৈ।

অলপ পাছত ঘোষিকা চন্দ্ৰালীও আহি পালেহি। সন্ধ্যাক "ভালকৈ কৰিবা" বুলি শুভেচ্ছা এটা দি তাই মঞ্চলৈ উঠি গৈছিল। সিদ্ধাৰ্থই এবাৰ পিছফালৰ বাৰাণ্ডা খনলৈ সকলোকে মাতি নি ক'লে,

"এতিয়াৰে পৰা তহঁতৰ কোনো অভিমন্যু নহয়, কোনো গাৰ্গী নহয়। তহঁত এখন মিচিং গাঁৱৰ ডেকা গাভৰু। ইয়াত অভিনয় নহয়, প্ৰতিটো চৰিত্ৰ জীয়াবি। মই জানো সকলোৱে ভাল হ'ব।"

সি আৱেগিক হৈছিল। শিখাই বাহুত হাত দিছিল। সকলো যোৱাৰ পাছত সন্ধ্যাক অকলে কৈছিল সিদ্ধাৰ্থই,

Kaushik

"তোক একো নকওঁ, কাৰণ মই জানো তই এনেও সোৰণশিৰীয়ে। মৰমবোৰ বুকুত লৈ সকলোৰে বুকুলৈ বৈ যাঁৱ তই। আজি মাত্ৰ সেই ৰূপটোকে সকলোকে দেখুৱাব লাগে।"

তাৰ কথাত সন্ধ্যাৰো বিশ্বাস আহিছিল, তাই পাৰিব।

পথীক মাতি সন্ধ্যাই তাইৰ মোবাইলটো দি পঠালে। দিয়াৰ আগে আগে তাই ভবা মেচেজটোও আহিল,

"Bhal koi koriba. all the best"

অনুৰণৰ মেচেজ। "Thanks" বুলি দি তাই পথীক মোবাইলটো দি পঠালে।

ঠিক ছয় বজাৰ লগে লগে মঞ্চত চন্দ্ৰালীয়ে আৰম্ভ কৰিছিল,

"নাটক ভালপোৱা প্ৰতিজন দৰ্শকক মই চন্দ্ৰালীয়ে জনাইছোঁ নমস্কাৰ আৰু স্বাগতম। মিৰিজীয়ৰীৰ কাহিনী, জংকি পানেইৰ গাঁথা নতুনকৈ কোৱাৰ প্ৰয়োজনেই নাই। ঘূণাসূঁতিৰ পাৰৰ সেই ডেকা গাভৰুৰ কৰুণ কাহিনী আজিও আমাৰ বুকুৰ মাজত আছে। উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ অমৰ সৃষ্টি মিৰিজীয়ৰীকে অসমীয়া অধ্যয়ন কেন্দ্ৰ আৰু ছাত্ৰ পৰিষদৰ যুটীয়া প্ৰচেষ্টাৰে আজি আগবঢ়োৱা হৈছে নাট্যৰূপ দিবলৈ। তাৰ আগতে আমি আমাৰ বিশিষ্ট অতিথি সকলক সম্ভাষণ জনাব খুজিছোঁ।"

ইয়াৰ লগে লগে প্ৰাঞ্জল শইকীয়াকে ধৰি আন আন অতিথি সকলকো ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হ'ল। পুনৰ চন্দ্ৰালীয়ে ঘোষণা কৰিলে,

"মিৰিজীয়ৰীক আমাৰ মাজলৈ আদৰি আনিব এটি দলীয় নৃত্যই।"

লগে লগেই দৰ্শকৰ চিঞৰ। মঞ্চত আৰম্ভ হৈছিল নতুন ল'ৰা ছোৱালী কেইজন মানৰ দলীয় নৃত্যটো,

"আছিনায়াং মানে কি অ' মৰমী

আছিনায়াং মানে হ'ল বুকুৰে মৰম তুমি যদি বুজি পোৱা মোৰে চেনাইটি......"

ল'ৰা ছোৱালী থিনি ফাৰ্ষ্ট ছেমৰ। খুব ধুনীয়া নাচিছিল সিহঁতে। নাচৰ লগতে এই গীতটোৱে সকলোকে জংকি পানেইৰ কাহিনীৰ মাজলৈ সোমোৱাই নিছিল,

"ঘূণাসূঁতিৰে পাৰত বহি মোৰ জংকি পানৈৰ কথা শুনিবৰ মন যায়,

Kaushik

থাকিবা নে সঁচাকৈ মোৰ কনেং ঐ

মই আহিমে বুলি তুমি বাটে চাই"

গ্ৰীণ ৰুমত সন্ধ্যা সাজু হৈছিল প্ৰথম দৃশ্যৰ বাবে। ইজনে সিজনে শুভেচ্ছা বাৰ্তা দিছিল। সকলোৰে শেষত অভিমন্যু আগুৱাই আহিছিল। মুখেৰে একো নকৈ মাত্ৰ এবাৰ তাইক সাৱটি ধৰিলে। সন্ধ্যাৰ মনলৈ দুগুণ সাহস আহিছিল।

মঞ্চত নৃত্যটো শেষ। আঁৰ কাপোৰ পৰিল। শিখাই সন্ধ্যাক আগবঢ়াই লৈ গ'ল। দুজন মান ল'ৰাই বহিবৰ বাবে থকা ডাঙৰ বাকচৰ দৰে বস্তুটো থৈ আহিল। সন্ধ্যা বহিল। চকু দুটা মুদি দিলে। চাৰিওফালে চিঞৰ। এক মূহুৰ্তৰ বাবে চকুলৈ এখন নদী আনিলে তাই। অহৰহ বৈ থকা এখন নদী। শিখাৰ ইংগিতৰ লগে লগে আঁৰ কাপোৰ আঁতৰিল। মঞ্চত নীলা লাইটেৰে বিয়পি পৰিলে। মঞ্চৰ ইমূৰৰ পৰা সিমূৰলৈ এখন নীলা ৰঙৰ কাপোৰ। দুয়োফালে দুজন ল'ৰাই ধৰি ঢৌৰ দৰে কঁপাই আছিল। দৰ্শকৰ পৰা এনে লাগিছিল যেন ঢৌ উপচি থকা এখন নদী। নেপথ্যত এটা বাঁহীৰ সুৰ আৰু পানীৰ কলকল শব্দটো। মাজে মাজে নৈ পৰীয়া বতাহৰ দৰে হুৰহুৰ শব্দ। লাহে লাহে ঢৌবোৰ কমি আহে। কাপোৰখন তললৈ নামি পৰে। লগে লগেই ওলাই পৰে কাপোৰখনৰ আঁৰত বহি থকা সোৱণশিৰীৰ মানৱী ৰূপত সন্ধ্যা। শান্ত, সমাহিত, সোৱণশিৰী নৈৰ মমতা ভৰা এটি ৰূপ যেন। নীলা লাইটৰ লগতে এটা সৰু বগা স্পট লাইট সন্ধ্যাৰ মুখত। নেপথ্যত বাজিবলৈ ল'লে বেদান্তহঁতৰ গীতটো,

"এৰাসূঁতি এৰি এৰি

সোৱণশিৰী বৈ যায়

অজানিতে মনে মনে

কাৰ নাম উকিয়াই"

লগতে এটা পাতল বাঁহীৰ সুৰ। সোৱণশিৰী ৰূপী সন্ধ্যা উঠি লাহে লাহে মঞ্চৰ আগলৈ আহিছিল। মুখত মৰমলগা হাঁহি আৰু গাত সম্পূৰ্ণ নীলা সাজেৰে সোৱণশিৰী জনীক দেখি সকলো শিয়ঁৰি উঠিছিল। বাঁহীৰ সুৰৰ লগতে বাজি উঠিছিল কৰুণ সুৰটো,

"পানৈ অ' ঐ----

পানৈ অ' ঐ----"

Kaushik

লগে লগে দৰ্শকৰ মাজৰ শাৰীটোত স্পট লাইট। আগতেই সিদ্ধাৰ্থই পৰিকল্পনা কৰা মতেই কেইটা মান ল'ৰাই এজনী ছোৱালীক চুলিত ধৰি চোঁচৰাইছে, মাৰিছে, যাঁঠিৰে খুঁচিছে। গানটো বাজি আছে,

"পা---নৈ অ'----ঐ"

মঞ্চত থকা সোৱণশিৰীয়ে কান্দোঁ কান্দোঁ হৈ এবাৰ আগুৱাইছে, হাত থনেৰে ৰখাবলৈ চাইছে, আকৌ অসহায় হৈ পিছুৱাইছে। লাইটৰ পোহৰত সন্ধ্যাৰ চকুৰে মুখে বিয়পিছে নিঠৰুৱা ভাৱখিনি। অসহায় হৈ বহি ৰৈছে আকৌ। এসময়ত গানটো ৰৈ গ'ল। দৰ্শকৰ মাজৰ স্পট লাইটোও অফ হ'ল। অভিনয় কৰি থকা ল'ৰা ছোৱালী কেইটা আঁতৰিল। সন্ধ্যাই আৰম্ভ কৰিলে সোৱণশিৰীক সংলাপ,

"মই সোৱণশিৰী, কত জীয়া কাহিনী বুকুত সাৱটি আজিও বৈ আছোঁ হৈ নিৰৱধি।"

আকৌ এবাৰ উঠি আহি ক'লে,

"চেনেহৰ পোনা মোৰ জংকি, লগতে তাৰ কনেং পানেই। সমাজ, নিয়ম, বিবাহ এইবোৰ বুজি উঠাৰ বহু আগেয়েই মোৰ পাৰতেই আৰম্ভ হৈছিল সিহঁতৰ ভালপোৱাৰ সেউজীয়া কাহিনী।"

লগে লগেই পট পৰিছিল। মঞ্চ এন্ধাৰ। সন্ধ্যা নামি আহিল গ্ৰীণ ৰুমলৈ। চকু চলচলীয়া তাইৰ। শিখাই সাৱটি ধৰি কৈছিল,

"খুব ধুনীয়া হৈছে।"

ইয়াৰ লগে লগেই আৰম্ভ হৈছিল নেইম কাষ্টিং। লগত বেদান্ত দাহঁতৰ আনটি গীত। গীতটিৰ আৰম্ভণিতেই এটা কৰুণ বাঁহীৰ সুৰ। আৰু বেদান্তৰ দুখ লগা হামিং,

"দিৰি ৰা ৰি ৰে ৰে ৰে ৰে না ৰি ৰে......."

কাঁহ পৰি জীণ গৈছে অডিটৰিয়াম। গীতটোৱে যেন বুকুৰ কোনোবা কোণত কঁপাই তুলিছিল সকলোৰে। ইমান বেদনা থাকিব পাৰে নে কাৰোবাৰ কন্ঠত। গানৰ শাৰীবোৰে যেন চকু সেমেকাই তুলিছিল,

"জীৱন মৰুৰ মৰীচিকা

খেদি খেদি ভাগৰুৱা

Kaushik

চিনাকি বাটৰো নাপাওঁ যে আঁত

তই মানেই কিয় ঘাট প্ৰতিঘাট"

গানটোৰ শেষত "অ'---- জীৱন" এই সুৰ খিনিয়ে যেন বহু কথাই কৈ গৈছিল।

নেম কাষ্টিং শেষ হোৱাৰ পাছতে আৰম্ভ হৈছিল মূল নাট। প্ৰথমেই গাছি মিৰিৰ এটা ভয়ংকৰ দৃশ্য। থমচনহঁতে সাংঘাতিক ধুনীয়া কৰিলে দৃশ্যটো। লগতে বেকগ্ৰাউণ্ডত ডবাৰ ধম ধম মিউজিক আৰু ৰঙা লাইটেও বেছি ভয় লগা কৰিলে। তাৰ পাছতে সেই মঙল চোৱা দৃশ্যটো। গাঁৱৰ ডেকা ডেকেৰীৰ জীৱনত বিপদ আছে বুলি কৰা ভৱিষ্যৎ বাণী। ইয়াৰ পাছতেই নৈৰ পাৰত লগৰীয়াৰ লগত ঐনিতমৰ সুৰত পানেই প্ৰৱেশ। লগে লগেই জংকিৰো।

"আচি বিদনাম কাংকৃতাক 'মৌ:বমচুনাম আজনা' বিত্তৌৰ চুনাম কাংকৃমানৌ

আইপৌ মৌ:নাম তাতকৃতাক 'মৌ:বমচুনাম আজনা' মৌ:তৌৰচুনাম তাতকৃমানৌ"

ঐনিতম গাই গাই লগৰীয়াবোৰ যোৱাৰ পাছত জংকি পানেইৰ কথা। সেইদৰেই আৰম্ভ হয় কাহিনীটো। পানেইৰ ঘৰৰ আধা অংশ বাঁহেৰে বনাই আনি খুব সুন্দৰকৈ দেখুৱাইছিল। পানেইৰ মাক দেউতাক তামেদ আৰু নিৰমাইৰ আলোচনা, কুমুদৰ জোঁৱাই খাটিবলৈ অহা, জংকিৰ ঘূণাসুঁতিৰ পাৰলৈ গমন সকলো দৃশ্য এটাৰ পাছত এটাকৈ পাৰ হৈছিল। ঘূণাসুঁতিত আকৌ এটা ঐনিতমেৰে চঞ্চলা ডালিমীৰ প্ৰৱেশ,

"কৌম জৃজৃন য়ুমৌ দ অল্লুঙ চা:য়ক ঔমমা:লাঙ

আইয়প কিনমৃন চুমাপৌ আইপৌ মৌ:য়ক ঔমমালাঙৌ"

জংকি গৈ ঘূণাসুঁতিতেই থাকিবলৈ লয়। তাৰ মাজতেই ডালিমীৰ মনত গঢ় লয় জংকিৰ প্ৰতি এক পক্ষীয় প্ৰেম। ইফালে পানেইক বিয়া দিয়াৰ দিহা কৰে ঘৰত। লাহে লাহে আৰ তাৰ মুখত পানেইৰ বিয়াৰ কথা শুনি ঘূণাসুঁতিৰ পাৰত এৰাতি চিঞৰি উঠে জংকিয়ে,

"মোৰ কনেং জনী আনৰ হ'বলৈ ওলাইছে। আজিও তই কিয় নিমাত সোৱণশিৰী? কিয়?"

অভিমন্যুৰ সেই বুকু কঁপোৱা আৰ্তনাদত গ্ৰীণ ৰুমত থকা সন্ধ্যাইও উচুপি উঠিছিল।

Kaushik

জংকিৰ পাছতে পানেইৰো সোৱণশিৰীৰ পাৰত বিলাপ,

"জংকি অ', তই শুনিছ নে মোৰ বুকুৰ কঁপনিবোৰ? মোক লৈ যাহি অ' জংকি। কৰ্চিন কাৰ্টানক সাক্ষী কৰি তোৰ হোৱাৰ পাছত মই আৰু আনৰ হ'ব নোৱাৰোঁ অ' জংকি।" কান্দোনত ভাঙি পৰে পানেই। গাৰ্গীৰ অভিনয়ত দৰ্শকেও চকুলো টুকিছিল। গেলেৰীৰ চিঞৰবোৰ নহা হৈছিল। দুখুনী পানেইৰ বুকুৰ বেথাত মনবোৰ ডাৱৰীয়া হৈছিল সকলোৰে।

পাছৰ দৃশ্যতে পানেই জংকিৰ কথা গম পাই জংকিৰ সহায় কৰিবলৈ আগুৱাই আহে ডালিমী। বুকুত শিল ৰাখি ডালিমীয়ে জংকিক যাবলৈ দিয়ে পানেইৰ কাষলৈ। সঁচাই, কিমান থিনি ভাল পালে নিজৰ প্ৰিয়জনক আনৰ হাতত গতাই দিব পাৰি সেয়া ডালিমীয়ে জানে। চম্পাই জানে। আৰু জানে ৰাধাই। জংকিৰ যোৱাৰ পাছত ডালিমীয়ে দুখ কৰে,

"মই দুৰ্বল তোৰ ওচৰত, আৰু তই পানেইৰ ওচৰত। অন্তৰেৰে কাৰ্চিন কাৰ্টানক কাকূতি কৰিছোঁ অ' জংকি, তহঁত সুখেৰে থাক।"

সকলোৱে অপেক্ষা কৰি থকা দৃশ্যটো এতিয়া আহিছিল। সোৱণশিৰীৰ বুকুৰে জংকি আৰু পানেই পলাইছে নাঁৱেৰে। ষ্টেজত নাওখন, মাজত অভিমন্যু আৰু গাৰ্গী। কাপোৰৰ আঁৰৰ পৰা দ্বীপ, শেখৰহঁতে লাহে লাহে টানি আছিল নাওখন। দৰ্শকৰ পৰা এনে লাগিছে যেন সঁচাই জংকিয়ে নাও চলাই গৈছে। জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিছিল।

পিছৰ দৃশ্যত দেখুৱা হৈছিল পানেই আৰু জংকিৰ সুখৰ সংসাৰ খন। জুবিনৰ বিহুটো বাজিছিল,

"এদিন সঁচাকৈ আমাৰ সুখ আহিব,

তৰা জোনে হাঁহি হাঁহি আমালে চাব।"

গানৰ মাজে মাজে বিহুৰ নাচ, লগতে পানেই জংকিৰ মৰমৰ ধেমালিবোৰ। পানেইয়ে চাউল জাৰিছে, কলহেৰে পানী আনিছে, জংকিয়ে খৰি ফালিছে। বৰষুণ অহাত একেটা কচুপাততে দুয়ো সোমাইছে। বিহু বাজিয়ে আছিল। জংকিয়ে পানেইক সাৰটি লৈ গাইছে,

"যদি জীৱনত ধুমুহাই আগছে,

Kaushik

সাৰটি ধৰি ৰ'ম আমি দুয়ো দুয়োকে।"

এইবাৰ পানেই জংকিৰ বুকুৰ পৰা ওলাই মঞ্চৰ আগলৈ আহি গাইছে,

"যদি দুখৰে কজলা ডাঁৱৰে,

পাখি লগা মনৰ পাখি তিয়াই হঠাতে।"

আকৌ জংকিয়ে গাই,

"ভাগৰি নপৰোঁ দেই

চকুলো নোটোকো দেই

হাঁহি হাঁহি বাট চাম পুৱাৰ ৰ'দলে"

গানটোৰ লগত গাৰ্গী আৰু অভিমন্যুয়ে মুখৰ ভাৱ ভংগীমাৰে ইমান সুন্দৰকৈ অভিনয় কৰিছে যে এনেকুৱা লাগিছে যেন সঁচাকৈয়ে সিহঁতেই গাই আছিল।

নিঠৰুৱা জংকি আৰু পানেই। সপোনৰ ঘৰখন থন ধৰি নুঠোতেই নিষ্ঠুৰ তামেদ আৰু কুমুদে আহি পানেইক লৈ গ'লহি। জংকিকো পেলাই গ'ল আধামৰা কৰি। পিছে ইয়াৰ পাছতে পানেই আকৌ পলাই। এইবাৰ অকলেই। জংকিক তামেদে অনুৰোধ কৰে পানেইক বিচাৰি আনিবলৈ। কিন্তু দৈৱৰ দুৰ্বিপাকত পানেই জংকি পৰেগৈ নিষ্ঠুৰ, নৃশংস বাৰে গামৰ হাতত। চোৰ চুৰুণী বুলি অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে জংকি আৰু পানেইক। গাছি মিৰিৰ চৰিত্ৰত থমচন ইমানেই সোমাই আছিল যে বাঁহৰ লাঠি ডালেৰে সঁচাকৈয়ে অভিমন্যুক জোৰেৰে কোব মাৰি দিছিল। আঁৰ কাপোৰৰ কাষত থকা সন্ধ্যা বহাৰ পৰা একেচাবে খিয় হৈছিল। শিখাহঁতেও ইস ইস কৰিছিল। ষ্টেজত শেষৰ দৃশ্য আৰম্ভ হৈছিল। পানেই আৰু জংকিক পিঠিয়া পিঠিকৈ একেলগে বান্ধি আসুৰিক তৃপ্তিত চিঞৰিছে গাছি মিৰিয়ে। সেহাই সেহাই পানেই জংকিয়ে শেষ বাৰৰ বাবে কথা পাতিছে,

জংকি : পানেই অ' মোৰ কাৰণেই তোৰ এই দশা হ'ল। মই হতভগীয়াই তোক শেষ কৰিলোঁ অ' পানেই।

পানেই : তেনেকৈ নক'বি অ' জংকি, আনৰ লগত কাৰেঙত থকাতকৈ তোৰ লগত মৰিলে মৰাতো সুখ পাম মই।

জংকি : আমি একলগ হ'ব নোৱাৰিলোঁ পানেই।

Kaushik

পানেই : কিয় নোৱাৰিম? এই মানুহে হে আমাৰ মৰম বোৰ নুবুজিলে। সোৱণশিৰী খনে জানে নহয়, দিব আমাক ঠাই অ' দিব আমাক ঠাই।

গাৰ্গীৰ শেষৰ সংলাপটোত অভিমন্যু আৰু তাই নিজেই ক'ব নোৱৰাকৈ কান্দিছিল। তাত কোনো অভিনয় নাছিল। সঁচাকৈ পানেই জংকীয়ে কান্দিছিল কেবিআৰত। এটা সময়ত গাছি মিৰিয়ে এডাল যাঁঠিৰে বুকু পিঠি শালি পেলাইছিল পানেই আৰু জংকিৰ। এটা প্ৰাণকাতৰ আৰ্তনাদত শেষ হৈ গৈছিল দুটা জীৱন। লগে লগেই বাজি উঠিছিল বেদান্তৰ গীতৰ শেষৰ খিনি,

"অ' অ' অ' জীৱনননন-----

জীৱনননননন-----"

আৰু পাতল বাঁহীৰ সুৰ। লাহে লাহে পট পৰিছিল। সন্ধ্যা যন্ত্ৰৰ দৰে মঞ্চলৈ উঠি গৈছিল। লৰালৰিকৈ সকলো বস্তু আঁতৰোৱা হৈছিল। এইটোৱে শেষ দৃশ্য। শিখাই এবাৰ সন্ধ্যাক সুধিছিল,

"সন্ধ্যা, কি হৈছে? ঠিকে আছা নে?"

নাই, তাইৰ একো মাত নাই। পুনৰ আঁৰ কাপোৰ আঁতৰিল। সন্ধ্যা সোৱণশিৰীৰ ৰূপত মাজত বহি আছে। মঞ্চত আকৌ নীলা লাইটটো। সন্ধ্যাৰ দুফালে দুটা উৰুত মূৰ দি শুই আছে অভিমন্যু আৰু গাৰ্গী। সোৱণশিৰীৰ চেনেহী কোলাত আশ্ৰয় লৈছেহি সিহঁতে। অহৰহ চকু পানী সৰিছিল সন্ধ্যাৰ। মনলৈ আহিছিল অনুৰণে কোৱা কথাষাৰ, "জংকি আৰু পানেই নিষ্ঠুৰ সমাজে মোহাৰি পেলোৱা দুপাহ সৰাফুল।" মৰমেৰে অভি আৰু গাৰ্গীৰ মূৰত হাত ফুৰাইছে তাই। পাতলকৈ বাজি আছে বাঁহীৰ সুৰ আৰু কলকল পানীৰ শব্দ। তাৰ মাজতে সন্ধ্যাই কৈছিল শেষ সংলাপটো,

"আৰু সেইদিনা, মই ৰাঙলী হৈছিলোঁ মোৰেই পোনাহালৰ কেঁচা তেজেৰে। অসহায় হৈ মাত্ৰ বৈ আছিলোঁ। সিহঁত আজিও মোৰ কোলাতেই আছে। এই সোৱণশিৰীৰ চেনেহী কোলাত সিহঁত আজিও শুই আছে। জংকি আৰু পানেই- দুটা মাথো জীৱন নহয়, জংকি আৰু পানেই মাথোঁ এটা প্ৰেম কাহিনীয়েই নহয়, ইয়াত আছে মিৰি জীয়ৰীৰ ত্যাগ, মৰম, ভালপোৱা সকলো। গাচি মিৰিৰ খেলত জীৱন ত্যাগ কৰা এই জংকি-পানেই হালৰ লগতে আৰু বহু লোককথা মোৰ বোৱতী পানীৰ কল্ কল্ শব্দতে আজিও গুণগুণাই। কহুঁৱাবোৰেও কৈ যায়- কিছুমান সচাঁ মিছা, দোমোজাৰ কাহিনী।

Kaushik

আৰু এতিয়া মোৰ দুহাত বান্ধিব খুজি সেই শক্তিসমূহে শেষ কৰিব খোজিছে মোৰ অস্তিত্ব আৰু লগতে শেষ হ'ব সেই গুণগুণণিবোৰ। মই বাধ্য হওঁ কাষৰীয়া মানুহৰ জীৱনলৈ অমানিশা নমাই আনিবলৈ, যিটো মই অলপো নিবিচাৰো। নোৱাৰিনে বাৰু মোক বৈ যাব দিবলৈ? আৰু নতুন জীৱন গঢ়িবলৈ? নিদিবনে মোক অতীতৰ কাহিনী গুণগুণাই বৈ যাবলৈ? মোক বৈ যাবলৈ দিয়ক। জংকি পানেইৰ কৰুণ কাহিনী বুকুত সাৱটি মোক বৈ যাবলৈ দিয়ক। বৈ যাবলৈ দিয়ক।" শেষলৈ সন্ধ্যাৰ কান্দোন মিহলি মাতটোত দৰ্শকে যেন অনুভৱ কৰিছিল সোৱণশিৰীৰ বুকুৰ বেথাখিনি।

লগে লগে পট পৰিছিল। আৰু নেপথ্যত গান বাজিছিল,

"এৰাসূঁতি এৰি এৰি

সোৱণশিৰী বৈ যায়......."

চন্দ্ৰালীয়ে ঘোষণা কৰিছিল, "ইয়াৰ লগে লগেই আমাৰ নাটকৰ যৱনিকা পৰিল।" দৰ্শকৰ পৰা উফৰি আহিছে চিঞৰ, উকি আৰু হাত চাপৰিৰ জোৱাৰ।

গ্ৰীণ ৰুমত গৈ উচুপি কান্দিছিল শিখাই। সিদ্ধাৰ্থইও চকুপানী মচিছিল। মঞ্চত একেথৰে বহি থকা সন্ধ্যাক সাৱটি ধৰি গ্ৰীণৰুমলৈ লৈ গৈছিল অভিমন্যুয়ে। সি বুজি পাইছিল তাই কি অৱস্থাত আছে। বেচিনত মুখখন ধোঁৱাই দিছিল সি। চকুত পানী মাৰি তাইক চৰিত্ৰ আৰু কাহিনীৰ পৰা উলিয়াবলৈ চেষ্টা কৰিছিল। তথাপিও একো নমতা দেখি "সন্ধ্যা" বুলি চিঞৰি উঠিছিল। অভিমন্যুক সাৱটি হুকহুকাই কান্দি দিছিল সন্ধ্যাই। তাইক বুকুত জোৰেৰে সাৱটি অলপ সময় ৰৈ আছিল অভিমন্যু। কান্দিবলৈ দিছিল তাইক যিমান পাৰে। কাৰণ সি জানে, সন্ধ্যা এতিয়া সন্ধ্যা হৈ থকা নাছিল। জংকি পানেইৰ কেঁচা তেজ নিজৰ মাজেৰে বোৱাই নিয়া সোৱণশিৰীলৈ সলনি হৈছিল সন্ধ্যা। অলপ সময়ৰ পাছত লাহে লাহে সন্ধ্যা স্বাভাৱিক হৈছিল। মঞ্চত বিশিষ্ট অতিথিয়ে প্ৰশংসাৰে উপচাই পেলাইছিল প্ৰতিজন কলা কুশলীক। সকলোৰে লগতে গাৰ্গীকো সিদ্ধাৰ্থই চিনাকি কৰাই দিলে তেজপুৰ ইউনিভাৰ্চিটীৰ বাহিৰৰ পৰা অহা বুলি। সেইদৰেই সামৰণি পৰিছিল মিৰিজীয়ৰীৰ।

Kaushik

নাটকৰ সফল সমাপ্তিৰ পাছত সিদ্ধাৰ্থই সকলোকে চি এচ বি লৈ মাতিলে। মেছেজ পাই সকলো তাত পালেগৈ। তেতিয়া সন্ধ্যাও সম্পূৰ্ণ স্বাভাৱিক হৈছিল। সকলো পোৱাৰ পাছত সিদ্ধাৰ্থই ক'লে,

"মোৰ সৰু সপোনটোৰ কাৰণে তহঁতে যিখিনি কষ্ট কৰিলি সেয়া ধন্যবাদ দি সৰু নকৰোঁ মই। মাত্ৰ এটায়ে কওঁ এই ককায়েৰটোক বহুত কিবা কিবি দিলি তহঁত বোৰে। মিৰিজীয়ৰী মোৰ বাবে কি সেয়া শিখাই জানে। এইখন লিখোঁতে তাইৰ কি হৈছিল সেয়া মই জানো। আজি মোৰ সপোনটো পূৰ কৰিলি তহঁতে।" শেষলৈ আৱেগিক হৈ পৰিছিল সিদ্ধাৰ্থ। অভিমন্যু সাৱটি ধৰিছিল তাক। এনেতে গাৰ্গীয়ে ক'লে,

"আপোনাৰ ইমোশ্যনেল ড্ৰামা শেষ হ'ল যদি মইও কিবা কওঁ?"

সিদ্ধাৰ্থই হাতেৰে তাইক আহিবলৈ ইংগিত দিলে। গাৰ্গীয়ে সকলোৱে শুনাকৈ ক'লে,

"আজি আমাৰ মৰমৰ অভিমন্যুয়ে সকলোৰে আগত সন্ধ্যাক কিবা ক'ব।"

তাইৰ কথাটো শেষ হ'ল কি নহ'ল লগে লগে গোটেইবোৰৰ চিঞৰ আৰু উকিয়ে কঁপাই তুলিলে। সন্ধ্যাক কেবিআৰত সাৱটি থকা পৰাই অভিমন্যুক গাৰ্গীয়ে বহুত কৈ আছিল যে আজিয়ে ভাল সুযোগ। গাৰ্গীৰ কথাত অভিমন্যুও আগুৱাই গ'ল। সন্ধ্যাই এইবোৰ কি হৈছে একো বুজি নাপাই উঁৰক লাগিল। তেনেতে সিদ্ধাৰ্থই ক'লে,

"কি হৈছে এইবোৰ? হেৰৌ, মই ককায়েকটো আছোঁ দেখিছ নে নাই?"

লগে লগে গোটেই বোৰে চিঞৰি উঠিল,

"আহিল আকৌ ভিলেইনটো"

"বৰ একেবাৰে ককায়েক"

"মনে মনে থাকক হে"

গাৰ্গীয়েও ক'লে, "ককায়েকে নিজে গাৰ্ল ফ্ৰেণ্ডৰ লগত লেকচাৰ মাৰি থাকিলে কি একো নহয়।" ওচৰতে থকা শিখাই টপৰাই মাতিলে,

"ঘূৰি পকি মোক টানিবিয়েই মানে।"

"হ'ব হ'ব। চব মনে মনে। অভিমন্যু, কোৱা।"

Kaushik

গাৰ্গীৰ কথাৰ লগে লগে মাইকটোও অভিমন্যুৰ হাতত তুলি দিলে বেদান্তই। চবৰে আকৌ হাঁহি। মুখত লাজ লাজ হাঁহি লৈ সি ৰৈ আছিল। সন্ধ্যা এবাৰ ওলাই যাব ধৰিছিল যদিও গাৰ্গী আৰু জুৰিয়ে টান মাৰি ৰখালে। চবেই চিঞৰিবলৈ লাগিল,

"অভিমন্যু, কৈ দে।"

"ক, ক। আমি আছোঁ লগত।"

"অভি অভি অভি।"

শেষত গাৰ্গীয়ে ক'লে,

"অকে, ক'বলৈ লাজ লাগিছে যদি এটা গানেৰেই এক্সপ্ৰেছ কৰি দিয়া।"

লগে লগেই বেদান্ত দাই ঢোলটো লৈ ক'লে,

"তই আৰম্ভ কৰ আমি ধৰিম।"

সকলোৰে কিবা নহয় কিবা এষাৰ কৈ আছিল। ইফালে বুকু কঁপনিত অৱস্থা নাই সন্ধ্যাৰ। সকলো তল পেলাই অভিমন্যুয়ে গাই উঠিল,

"কনেং ঐ মোৰে কনেং ঐ,

বুকুতে বোৱালি সোৱণশিৰী নৈ,

সোণৰে চেঁকুৰা তই সোৱণশিৰী নৈ"

গোটেই কেইটাৰ কাণ তাল মৰা চিঞৰে জোকাৰি গৈছিল হলটো। অভিমন্যুৰ লগতে বেদান্তই গানটো ধৰিলেই। অভিমন্যুয়ে সন্ধ্যালৈ চাই গাই গৈছিল পিছৰ খিনি,

"তই কলিজাৰে টুকুৰা মোৰ এৰি থৈ মোক নেযাবি,

মোকে ৰিবি গাছেং কৰি গাতে মেৰিয়াই ল'বি।

মিচিং আৰু মি পাকৰ মিলনৰ সেঁতু,

দিব আশীষ আমাকে দঙি পলয়ো।"

সন্ধ্যাক টানি আনি অভিমন্যুৰ কাষলৈ ঠেলি দিছিল গাৰ্গীয়ে। জুৰিয়ে এবাৰ সকলোৰে শুনাকৈ ক'বলৈ কোৱাত অভিমন্যুয়ে হাঁহি হাঁহি সন্ধ্যালৈ চাই কৈছিল,

Kausnik

"ভাল পাওঁ বে তোক মই।"

লাজত ৰঙা পৰা সন্ধ্যাইও সকলোৰে জোৰত পৰি ক'বলৈ বাধ্য হ'ল, "মইও"

কথাটো কৈয়ে বাহিৰলৈ দৌৰিলে তাই। পিছে পিছে অভিমন্যু। তাইক সাৱটি ধৰিলে সি। কাণৰ কাষত ফুচফুচাই ক'লে,

"ফাইনেলি মোক পতাই ল'লি আৰু ন?"

সন্ধ্যাই তাৰ বুকুতে মিহিকৈ ঘোঁচা এটা দি ক'লে,

"পাগল, এৰি নাযাবি মোক।"

বুকুত জোৰেৰে সাৱটি লৈছিল সি তাইক। সন্ধ্যাইও তাইৰ মূৰটো গুজি দিছিল অভিমন্যুৰ বুকুৰ মাজত।

হলৰ ভিতৰত ক'ব নোৱাৰা হৈ নাচি আছিল সকলোৱে। বেদান্তই গাই আছিল,

".....সেয়ে চাগে আমাৰ মন মিলিছে জান ঐ,

যিদৰে মিলি যায় নদী লুইতলৈ,

কনেং ঐ মোৰে কনেং ঐ,

বুকুতে বোৱালি সোৱণশিৰী নৈ"

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 78

জোনাকবোৰ যেন নামি আহিছিল। ষ্ট্ৰীট লাইটৰ হালধীয়াবোৰে ভৰিছিল প্ৰাণ, চেঁচা যেন লগা বতাহজাকেও বৰকৈ জোকাইছিল, কাঞ্চনে গাইছিল গোলপীয়া গান। বিচনাত পৰি অথনিৰ কথাখিনিকে ভাবি আছে সন্ধ্যাই। অভিয়ে তাইক থ'বলৈ আহিছিল সোৱণশিৰীলৈকে। চি এচ বিৰ পৰা হোষ্টেললৈকে এবাৰো এৰি দিয়া নাছিল হাত। সদায় অহা যোৱা কৰা চিনাকি বাটটো আজি যেন বেলেগ বেলেগ লাগিছিল। মনটো

আচৰিত ধৰণে ভৰি আছিল। ভাত খাই বিচনাত পৰিছে তাই। তেও চোন টোপনি অহা নাই। জুৰিয়ে চি এচ বিৰ পৰাই ক্লাছৰ হোৱাটচ এপ গ্ৰুপত মেচেজ কৰি সকলোকে খবৰ দিয়েই দিলে। লগে লগে মেচেজৰ বৰষুণ আহিছিল গ্ৰুপত। কোনো কোনোৱে ফোনো কৰিছিল তাইলৈ। প্ৰিয়া, ভাস্বতী, কংকনাহঁতৰ লগত ৰুমত ভালকৈয়ে আড্ডা এটা হ'ল। পখীয়েতো ৰুমত অকল ৰোমান্টিক গানেই লগাই আছিল। টোপনি গ'ল এতিয়া তাই। সন্ধ্যাৰ চকুত হে টোপনি নাই। জীৱনটো হঠাৎ যেন সলনি হৈ গ'ল। তন্দ্ৰাবিহীন চকু কেইটাৰে এতিয়াও যেন অভিমন্যুকে বিচাৰি আছে তাই। বিচনাত পৰি থাকোঁতেই হঠাৎ সন্ধ্যাৰ চকুত পৰিল অনুৰণে তাইৰ জন্মদিনত দিয়া ম'ৰা পাখিৰ কেনভাচখন। তেতিয়াহে সন্ধ্যাৰ মনত পৰিল, এতিয়া লৈকে অনুৰণৰ এটাও মেচেজ নাই। গ্ৰুপৰ মেচেজ চাইতো সিও গম পাইছে, তেন্তে একো নক'লে যে? ধেৎ, তাইও যে কি। আচলতে তাক খবৰটো তাই নিজেই দিব লাগিছিল। প্ৰথমৰ পৰাই সিয়েইতো অভিমন্যুৰ কথাটো লৈ বহুত কিবা কিবি বুজাই আছিল তাইক। আৰু তাইও অনুৰণৰ আগতেই কথাবোৰ কৈছিল। তেন্তে এতিয়া এই খবৰটো তাক দিবলৈ তাই পাহৰিব লাগে নে বাৰু? তালৈ মেচেজ দিবলৈ হোৱাটচ এপটো খুলিলে সন্ধ্যাই। এঘণ্টাৰ আগতেই লাষ্ট চিন? কি হ'ল ইয়াৰ? ইমান দেৰিতো অফলাইন নাথাকে। আৰু এতিয়াইতো অনুৰণৰ শোঁৱও হোৱা নাই। তেন্তে? সন্ধ্যাই এইবাৰ ফোন লগালে তালৈ। ৰিং হৈ হৈ কাটি গ'ল। উঠোৱা নাই। আচৰিত, অথনি গ্ৰুপৰ মেচেজটো সিও চিন কৰিছে। তেও তাইক একো নক'লে, আনকি নাটকৰ কথাও নক'লে। আৰু এতিয়া ফোনো উঠোৱা নাই। কি হ'ল তাৰ? হঠাৎ ফোনটো বাজিল। অনুৰণে কৰিছে বুলি সন্ধ্যাই একে কোবে ফোনটো আনি দেখে অভিমন্যুহে। তাই ৰিচিভ কৰিলে,

"ঐ পাগলী, কি কৰিছ?"

"এতিয়া এই পাগলী চাগলী বুলি যে নামাতিবি মোক দেই।" সন্ধ্যাই মুখখন ফুলাই ক'লে।

"তেন্তে কি বুলি মাতিম? হেৰা, কি কৰিছা হয় নে?"

অভিমন্যুৰ সুৰটো শুনি হাঁহি উঠিল সন্ধ্যাৰ,

"ফটুৱা ক'ৰবাৰ।"

এইবাৰ সি কিছু শান্ত হৈ কৈছিল,

Kaushik

"ভবা নাছিলোঁ জান' তোৰ লগত কেতিয়াবা ৰিলেশ্যনত আহিম বুলি।"

"কি ক'বি আৰু, মোৰেই দুৰ্ভাগ্য।"

"এনেকে ক'লি ন? হ'ব দে, বাই।"

"আৰে আৰে, ৰ বাবা। ধেমালি কৰিছোঁ।"

এই প্ৰথম অভিয়ে সন্ধ্যাৰ ওচৰত অভিমান কৰিলে। তাইও মৰমেৰে ভাঙিছিল তাৰ যাযাবৰী অভিমান,

"তোক নোজোকাই নো কাক জোকাম?"

সিও হাঁহিলে। তাৰ পাছত দুই এটা ইটো সিটো কথা। শেষত ফোন থোৱাৰ সময়ত সন্ধ্যাই সুধিলে,

"অনুৰণে গম নাপাই নেকি আমাৰ কথা?"

অভিমন্যুৰ মাতটো ডাঙৰ হ'ল লগে লগে,

"গম নাপাব নে? সিহঁত গোটেই কেইটা আহি ৰুমত উৎপাত। অনুৰণেই ৰাজদ্বীপহঁতক মাতি আনিলে। লাষ্টত কেন্টিনত গৈও লুটিলে মোক ঠিকচে।"

"ঠিকে আছে দে। শুই যা তই।" বুলি ফোনটো কাটিলে সন্ধ্যাই। কিয় জানো অনুৰণৰ প্ৰতি কিবা খংহে উঠিছে তাইৰ। অভিমন্যুৰ ৰুমত গৈ পাৰ্টি কৰিব পাৰে, কিন্তু তাইক মেচেজ এটা দিব নোৱাৰে। তাৰ কথা ভাবিবলৈ এৰি বিচনাত বাগৰ দিলে সন্ধ্যাই। পাৰ হৈ যোৱা ঘটনা বোৰকে মনলৈ আনি শুবলৈ চেষ্টা কৰিলে। আজি আৰু তাই সময়ক নোসোধে মৰমৰ ঠিকনা, মাথোঁ উদযাপন কৰিব ভালপোৱাৰ সেউজীয়া সাধনা। এৰা, সময় এনেকুৱাই, কেতিয়া কোন আপোন হয় গমেই পোৱা নাযায়।

"অভিমন্যুয়ে মোক ভালকৈ পাৰ্টী এটা দিব পাৰা কিন্তু।"

ফোনটো থোৱাৰ পাছতে ৰুমমেট প্ৰিয়ানুজে ক'লে। উত্তৰত অভিমন্যুয়ে হঁহাৰ পাছতে আকৌ ক'লে প্ৰিয়ানুজে,

"মই অহাৰ পাছতে সংসাৰী হৈ পৰিছা তুমি।"

Kaushik

"সংসাৰী নে কি?" হাঃ হাঃ কৈ হাঁহি উঠিল অভিমন্যুয়ে। প্ৰিয়ানুজৰ লগত ৰুমত ভাল জমি থাকে অভিমন্যুৰ। সি আচৰিত হয়, নাটক, ধৰ্ম, চিনেমা, ৰাজনীতি কিহৰ কথা নাজানে প্ৰিয়ানুজে। সকলো বিষয়তে তাৰ কিবা কিবা দখল আছেই। আচলতে তাৰ্কিকবোৰ এনেকুৱাই চাগে। প্ৰিয়ানুজৰ লগত অনুৰণ, ৰাজদ্বীপ আৰু আৰিফহঁতৰো ভাল সম্পৰ্ক গঢ়ি উঠিছে। আড্ডাবোৰত প্ৰিয়ানুজৰ কথা সাধুৰ দৰে শুনি ৰয় সিহঁতে। অলপ আগতেও ভাল আড্ডা এটা বহিছিল সিহঁতৰ। বিষয় আছিল উপন্যাসৰ পৰা নাটক। মিৰিজীয়ৰীৰ পৰাই ওলাইছিল কথাবোৰ। অসমীয়া সাহিত্যত এনে বহুতো উপন্যাস আছে যাৰ এশ শতাংশ মঞ্চযোগ্যতা থকাৰ পাছতো অৱহেলিত হৈ পৰি ৰৈছে আৰু নাটকৰ নামত একাংশই বাৰে ভচহু মেজিক দেখুৱাই ফুৰিছে। অৱশ্যে ইয়াৰ বাবে দক্ষতাও লাগিব। মাজতে কহিনুৰে "অসীমত যাৰ হেৰাল সীমা" মঞ্চস্থ কৰিছিল। দৰ্শকৰ বিপুল সঁহাৰি। ভাল কাম সদায় দৰ্শকে চাবই। আজিৰ অসমীয়া চিনেমাৰ অৱহেলিত বুলি সদায় কৈ অহা হয়, কিন্তু ক'ৰবাত যেন দৰ্শকৰ ওচৰ চাপিবলৈ এতিয়াও সক্ষম হোৱা নাই। হয়তো উপযুক্ত প্ৰচাৰৰ অভাৱ। আচলতে এটা ৰিভলিউচনৰ প্ৰয়োজন অসমৰ চিনেমা জগত খনত। এইবোৰ কথাই প্ৰিয়ানুজহঁতৰ আড্ডাত ঠাই পাইছিল। প্ৰিয়ানুজৰ যুক্তিপূৰ্ণ অথচ সহজ, সাধাৰণ অথচ গুৰুত্বপূৰ্ণ কথাবোৰত লাহে লাহে আকৰ্ষিত হৈছিল অভিমন্যু, অনুৰণহঁত। আনকি ময়ূঁৰো আজিকালি নিজেই আহি প্ৰিয়ানুজৰ আড্ডাত ভাগ লয়হি।

প্ৰিয়ানুজ শুবলৈ লোৱাত অভিমন্যু ময়ূঁৰৰ ৰুম পালেগৈ। সি বিচনাতে কিতাপ এখন পঢ়ি আছিল। নীলা ৰঙৰ কিতাপ খনৰ নামটো পঢ়িলে অভিমন্যুয়ে,

"মা-য়া--বৃ-ত্ত।"

"ইমান ডাঙৰ ভলিউমৰ কিতাপবোৰ কেনেকৈ পঢ় অ' তই?"

ময়ূঁৰৰ বিচনাত বহি লৈ অভিমন্যুয়ে ক'লে। ম'ৰাৰ পাখিটো কিতাপৰ মাজত ভৰাই ময়ূঁৰে ক'লে,

"এবাৰ আৰম্ভ কৰিলে তইও এৰিব নোৱাৰিবি। ৰীতা চৌধুৰী বাইদেউৰ খুব মৰমলগা কিতাপ জান' এইখন। এইখন পঢ়ি নিজৰ ভিতৰতে ক'ৰবাত সুৱৰ্ণক বিচাৰি ফুৰোঁ মই।"

"কোন সুৱৰ্ণ?" অভিমন্যুয়ে সুধিলে।

Kaushik

"মায়াবৃত্তৰে এটা চৰিত্ৰ। সুৱৰ্ণই তাৰ শৈশৱৰ লগৰীয়া পুতিক কি কয় জান', এখন নদীৰ পানী আন এখন নদীৰ পানীৰ লগ হ'লে পানী ভাগক জানো বেলেগ কৰিব পাৰি কোৱা।"

"মানে?" অভিমন্যুয়ে বুজি নাপায়।

"মানে এইটোৱে যে ভালপোৱা জনক কেতিয়াও কোনো শক্তিয়ে মনৰ পৰা আঁতৰ কৰিব নোৱাৰে। চকুৰ আঁতৰ হ'লেও সদায়---"

ময়ূঁৰৰ কথা শেষ হ'বলৈ নিদি অভিমন্যুয়ে চিঞৰি উঠিল,

"এ হ'ব হ'ব। তইয়ে পঢ় এইবোৰ। মোক বুজাব নালাগে এইচব ভালপোৱা। এনেও আজি কামোৰ খাইয়ে আছোঁ।"

"বাৰু অভি, এটা কথা কচোন।" ময়ূঁৰ অলপ তাৰ ওচৰ চাপি বহিল।

"কি কথা?"

"তই সন্ধ্যাক প্ৰপোজ যে কৰিলি। আই মিন তাইক তই ভাল পাৱঁ, বাত কেতিয়াৰ পৰা মানে কেনেকৈ?" ময়ূঁৰৰ প্ৰশ্নত হাঁহি মাৰি ক'লে অভিমন্যুয়ে,

"এইটো আকৌ কি কুৱেশ্যন? ভাল হ'বলা ডেট চাই মেলি পাই নি? চবেই আগৰ পৰা তাইৰ লগত ইমান জোকাই থাকে, চ' লাহে লাহে ভাল লাগিল আৰু।"

"চবেই জোকোৱাৰ কাৰণে তোৰ ভাল লাগিল নে তোৰ ভাল লগাৰ কাৰণে চবেই জোকাইছিল?"

ময়ূঁৰৰ প্ৰশ্নত এক মূহুৰ্তৰ বাবে মুখৰ হাঁহিটো নোহোৱা হৈ গৈছিল অভিমন্যুৰ। তাৰ গহীন মুখখন দেখিয়ে কিবা এটা ভাবি ময়ূঁৰে আকৌ ক'লে,

"ইমান ছিৰিয়াছ হ'ব নালাগে দে। এনেই জোকাইছিলোঁ। ৰুম যা। ভাগৰ লাগি আছে। শুই দে গৈ।"

অভিমন্যুক যাবলৈ কৈ হেডফোন ডাল কাণত লগাই বাহিৰলৈ ওলোৱা দেখি অভিমন্যুয়ে ক'লে,

"আকৌ ৰাতিখন বাহিৰত ঘূৰিবলে যাঁৱ ন?" চাবি কিন্তু এইবাৰ সাপে কামুৰিলে পেলাই থ'ম তাতে।"

Kaushik

"একো নহয় দে। সোনকালে আহি যাম।"

বুলি ময়ূঁৰ বাহিৰ ওলাল। অভিমন্যুও নিজৰ ৰুম পালেগৈ। বাহিৰত আহোঁ আহোঁ কৰা শৰতৰ বতৰা লৈ এটোপ দুটোপ নিয়ঁৰ সৰিছিল। পাটকাইৰ সমুখত ৰৈ থকা ছাঁয়ামূৰ্তিটোৰ ওচৰ পালেগৈ ময়ূঁৰ।

"ৰাধা"

শুনোঁ নুশুনোঁকৈ মাতটো দি আগবাঢ়িছিল ময়ূঁৰ।

পিছদিনা গাৰ্গী যাবগৈ। নাইট চুপাৰ আছে তাইৰ। সন্ধ্যাহঁতে সেইবাবেই দিনটো তেজপুৰ ফুৰাৰ প্লেন বনালে। প্লেনটো সন্ধ্যাৰেই আছিল। নাটকৰ ভাগৰত সিদ্ধাৰ্থই প্ৰথমতে নাযাওঁ কৈছিল যদিও সন্ধ্যা আৰু শিখাৰ চিঞৰৰ বাথৰত যাবলৈ সাজু হ'ল।

সন্ধ্যা ওলাই আছিল যাবলৈ। সিদ্ধাৰ্থহঁতে বাছ নহয় টেম্পুতে যোৱাৰ কথা কৈছে। অভিমন্যু, গাৰ্গী, সন্ধ্যা, শিখাহঁতকে ধৰি প্ৰায় দহটা মানেই হ'ব। হৈ যাব এখন টেম্পুত। সন্ধ্যা গা ধুই আহি ওলাই আছিল। তেনেকুৱাতে পখী দৌৰা দৌৰিকৈ কাপোৰ পিন্ধি ক'ৰবালৈ যাবলৈ খৰ ধৰ লগোৱাত সন্ধ্যাই সুধিলে,

"ক'ত যাৱ তই ইমান লৰালৰি যে?"

"এই ৰহ, এটা আহি ৰৈ আছে অথনিৰে পৰা হোষ্টেলৰ আগত। টাউন যাওঁ।"

হিল যোৰ পিন্ধি পিন্ধি পখীয়ে ক'লে। কাৰ কথা কৈছে বুজি নাপাই সন্ধ্যাই আকৌ সুধিলে,

"এটা মানে?"

"ল'ৰা এটা। বি টেকৰ হ'বলা।"

"হ'বলা? তই চিনি নাপাঁৱ নেকি?"

"আজি চিনাকি হ'ম হে এতিয়া।"

সন্ধ্যা আচৰিত হ'ল। অচিনাকি ল'ৰা এটাৰ লগত এদিনতে চিনাকি হৈ টাউন যায়? এইজনীৰ হৈছে কি মানে? পখীৰ সমুখলৈ আহি সন্ধ্যাই খঙেৰে ক'লে,

Kaushik

"বলিয়া নেকি তই? ক'ৰ অচিনাকি ল'ৰাৰ লগত টাউন যাব লাগে হা?"

"আৰে সি মোক ফেচবুকত মেচেজ কৰিছিল। কেইদিন কথা পাতি এতিয়া তাক দুদিন মানলে TUTP বনাই লৈছোঁ।"

সন্ধ্যাৰ কথাত সাধাৰণ ভাৱে উত্তৰ দিছিল পথীয়ে। সন্ধ্যাই আকৌ সুধিলে,

"TUTP মানে কি আকৌ?"

পথী যেন এইবাৰ হে আচৰিত হ'ল,

"কি? ইয়াত এবছৰ থকাৰ পাছতো তই TUTP মানে কি নাজান?"

পথীৰ কথাত প্ৰশ্নভৰা চাঁৱনিৰে চাইছিল সন্ধ্যাই। এনেকুৱা কি কথা নো যে ইয়াত থাকিলে জানিবই লাগিব। TU ত চলা প্ৰধান কেইটা Short form সন্ধ্যাইতো জানেই। KBR মানে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহ, CSB মানে চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱন, HSS মানে হিউমেনিটিজ এণ্ড চছিয়েল চায়েন্স, SOE মানে স্কুল অৱ ইঞ্জিনিয়াৰিং। তাৰ বাহিৰে হোষ্টেলবোৰৰ হে Short form আছে। যেনে PMH মানে পাটকাই মেনচ হোষ্টেল, NMH মানে নীলাচল মেনচ হোষ্টেল, NWH মানে নিউ ৱমেনচ হোষ্টেল আদি। সেইবোৰৰ বাহিৰে আকৌ এই TUTP টো কি? সন্ধ্যাৰ কনফিউজন ভাঙি পথীয়ে ক'লে TUTP মানে হেনো Tezpur University Time Pass। মানে ইয়াৰ আমনিদায়ক সময়বোৰত টাইম পাচৰ কাৰণে যদি কোনোবা কাৰোবাৰ লগত ঘূৰে তেওঁৱেই হৈ পৰে TUTP।

"হে ভগৱান! কোনে উলিয়াই মানে এইবোৰ?"

সন্ধ্যাৰ হাঁহি উঠাৰ লগতে আচৰিতো হৈছিল। পথীয়ে যাবলৈ ওলাই ক'লে,

"এইবোৰ তোৰ নিচিনাকে ইয়াত ছিৰিয়াছ হৈ পঢ়িবলে অহা, সঁচা প্ৰেম কৰিবলে অহা বোৰে বুজি নাপাবি। আমাৰ নিচিনাকে লাইফৰ ফ্ৰাষ্ট্ৰেচন দূৰ কৰিবলে আৰু স্পেচিয়েলি বেকাৰ টেগটোৰ পৰা বাচিবলে পঢ়িবলৈ অহা কেইটাই হে বুজিব। দিচ ইজ নট ফৰ ইউ বেবী। বাই।"

কথাখিনি কৈ কৈ ওলাই গ'ল পথী। সন্ধ্যাই চাই ৰৈছিল তাইলৈ। কিয় ইমান উৎপতীয়া হ'ল বাৰু এই ছোৱালীজনী? কোনো কথাত ছিৰিয়াছ নহয়। যিটো মন যাব কৰিবই। ভগৱান আহিলেও ৰখাব নোৱাৰে। "মানুহে কি ক'ব" এই কথাটো পথীৰ অভিধানত

Kaushik

নাইয়েই। কথাবোৰ ভাবি থাকোঁতেই ফোন আহিল। শিখা বাহঁত ওলালেই। খৰধৰকৈ ওলাই সন্ধ্যাও পালেহি।

সিহঁতবোৰ অগ্নিগড়, কোল পাৰ্কত ঘূৰি শেষত মেগনোলিয়াতে লাঞ্চ কৰিলে। গাৰ্গীয়ে অগ্নিগড় দেখা নাছিল। বস্তুবোৰ দেখি অভিভূত হৈছিল তাই। সন্ধ্যা পিছে অগ্নিগড়ত সোমাওঁতেই পুৰণা কথাবোৰ মনত পৰিছিল। মুখখন গম্ভীৰ হৈ গৈছিল তাইৰ। কথাটো বুজিব পাৰি অভিমন্যুয়ে সন্ধ্যাৰ ওচৰ চাপি কোনেও নুশুনাকৈ কৈছিল,

"স্মৃতি হ'লেই যে সাঁচি থ'ব লাগিব তাৰ কোনো মানে নাই। শিক্ষাখিনি ৰাখি বাকীবোৰ জাবৰৰ দৰে সাৰি পেলোৱাই ভাল।"

মেগনোলিয়াত খাই থাকোঁতে গাৰ্গীয়ে উলিয়াইছিল কথাটো,

"ইয়াৰ পাছত যাতে গোটেই বোৰ সিদ্ধাৰ্থ দা আৰু শিখা বাৰ বিয়াত হে লগ পাওঁ দেই। সোনকালে ভাল খবৰটো দিয়ে যেন।"

সকলোৱে জোকাইছিল সিহঁতক। সিদ্ধাৰ্থই হঁহাৰ বিপৰীতে শিখা গহীন হৈ পৰিছিল। সন্ধ্যাক তাই কৈছিল শিখাহঁতৰ ঘৰত হেনো সিহঁতৰ সম্পৰ্কটো মানি নলয়। সিদ্ধাৰ্থৰ এতিয়াও তিনি চাৰি বছৰ আছেই পি এইচ ডি শেষ হ'বলৈ। আৰু শিখাৰ মাষ্টাৰ্চ শেষ হোৱাৰ লগে লগে ঘৰত দৰা চাইছেই। কাইলৈ মানে হয়তো তাইও ঘৰলৈ যাবগে। নাজানে মাক দেউতাকে কি কৰে। ঘৰৰ একমাত্ৰ ছোৱালী শিখা মাকহঁতৰ অমততো যাব নোৱাৰে। সন্ধ্যাৰ দুখ লাগিছিল। সঁচাই, কাহিনী লিখা মানুহবোৰো যে নিজেই জীৱন নামৰ কাহিনীটোৰ চৰিত্ৰ হৈ পৰে নজনাকৈয়ে। সন্ধ্যাৰ উশাহবোৰ গধূৰ হয়। শিখা বেলেগলৈ বিয়া হ'ব লগা হ'লে সিদ্ধাৰ্থও ভাঙি পৰিব। সন্ধ্যাই জানে বাহিৰে নেদেখুৱালেও সি শিখাক কিমান বেছি ভাল পায়। কিন্তু নিয়তিক বিশ্বাস কৰি হাত সাৱটাৰ বাহিৰে সিহঁতে কৰিব নো পাৰে কি?

মেগনোলিয়াৰ পৰা ওলাই আহি গাৰ্গী আৰু তাইৰ লগত অহা ছোৱালীজনীক গাড়ীত উঠাই সন্ধ্যাহঁতো ইউনিভাৰ্চিটীৰ বাছত বহিলহি। গাৰ্গীয়ে যোৱাৰ সময়ত সন্ধ্যাক আঁকোৱালি ধৰি কৈছিল,

"অভিমন্যু আৰু তুমি সঁচাই দুয়োটা খুব ধুনীয়া মিলিছা সন্ধ্যা। সদায় এনেকৈয়ে থাকিবা। আকৌ লগ পাম।"

kaushik

সন্ধ্যাৰো চকুযোৰ সেমেকিছিল। মাত্ৰ এমাহতে ছোৱালীজনীক বৰ আপোন যেন লাগিছিল। জীৱনটো সঁচাই খুব খৰ। বিশেষকৈ ভাল লগা দিনবোৰ যেন খুব সোনকালেই পাৰ হৈ যায়। যি কি নহওঁক, গাৰ্গীয়ে যেন সন্ধ্যাক এটা ধুনীয়া উপহাৰ দি গ'ল। সন্ধ্যাই জানে, গাৰ্গীৰ নেৰা নেপেৰা বুজনিৰ ফলতেই অভিয়ে তাইক মনৰ কথা কৈছিল। ইউনিভাৰ্চিটীৰ বাছত আহি থাকোঁতে সেইবোৰ কথাই মনত পৰি আছিল। কাষতে থকা অভিমন্যুৰ কান্ধত মূৰটো পেলাই দিছিল তাই চকুহাল মুদি। কিন্তু অলপ সময়ৰ পাছত বাহুটো জোকাৰি কৈ উঠিল সি,

"এনেকে পৰি নাথাক চোন। অশান্তি লাগে।"

সন্ধ্যা মনে মনে আছিল। তাই বুজি পাই, অভিমন্যুৰ এইবোৰত খং উঠে। বিশেষকৈ এই বাছত গ'লে শুই যোৱা কামটোত। কিন্তু আগতে এনেকৈ কৈ দিয়া নাছিল সি। আজি বা কিয়! হয়তো দিনটো ভাগৰ লাগি আছে চাগে। হুঁমুনিয়াৰ এটাৰ সৈতে কাণত হেডফোন ডাল লগাই খিৰিকীৰে বাহিৰলৈ চাই ছিটটোতে মূৰটো আওজাইছিল।

Kaushik

তিনি দিন মানেই হ'ল, অনুৰণ কেম্পাছত নাই। এই দুদিন ক্লাছলৈও অহা নাই। সেই যে সন্ধ্যাই ফোন কৰোঁতে সি উঠোৱা নাছিল, তেতিয়াৰ পৰা নাই যি নাইয়ে। সন্ধ্যাও খঙতে আৰু ফোন কৰা নাই। মেচেজো দিয়া নাই। সিতো মিচ কল পাই কল বেক কৰিব পাৰে। সিদিনা ক্লাছত অভিমন্যুয়ে হে ক'লে, অনুৰণ হেনো ঘৰলৈ গ'ল। নাটক হোৱাৰ পিছদিনা ৰাতিপুৱাই গ'ল। কিবা জৰুৰী কামত। আজি নে কাইলৈ অহাৰ কথা। ফোন নকৰিলে সন্ধ্যাই। মনতে ভাবি থৈছে, তাক লগ পালেই ঠিকচে গালি দিব। ক্লাছৰ গোটেই বোৰে অভি আৰু তাইৰ কথাটো শুনি মেচেজ দিছে, কোনোবাই জোকাইছে। সি সেইটো কথা লৈ কিবা কোৱাটো বাদেই, নাটকৰ কথাও নক'লে আনকি। কিন্তু অভিমন্যুৰ পৰা হ'লে কেন্টিনত ঠিকেই পাৰ্টি খাইছে। সঁচাই, কাৰোবাৰ পৰা প্ৰত্যাশিত সঁহাৰিবোৰ নাপালে সময়বোৰ উকা যেন লাগে। সন্ধ্যাৰো সেইটোৱেই হৈছিল।

সেইদিনা আবেলি সন্ধ্যা আৰু অভি ওলাই গৈছিল। সিহঁত আগতেও ওলাই যায়। কিন্তু আজিকালি দিনটোৰ শেষত এবাৰ ওলাই যোৱাটো নিয়মৰ দৰেই। আগতে কেতিয়াবা লগত প্ৰিয়া, জুৰিহঁত নহ'লে আৰিফহঁত কোনোবা থাকে। কিন্তু আজিকালি সিহঁত "আমি ডিষ্টাৰ্ব নকৰোঁ দেই" বুলি আঁতৰি যায়। আগতে সকলো একলগ হৈ কথা

শেষেই নহয়। সন্ধ্যাক তাৰ মাজতেই জোকাই থাকে অভিমন্যুয়ে। কিন্তু আজিকালি অকল সিহঁত দুটাৰ তেনেকৈ বিশেষ একো কথা নোলাই, এই সৰু সুৰা হোষ্টেলৰ দুই এটা কথা সেয়াই। সন্ধ্যাক আগৰ দৰে অভিমন্যুয়ে নোজোকোৱাও হ'ল। কথাতকৈ বেছি দুয়োটা মোবাইলতে ব্যস্ত হৈ থাকে।

গোবিনত খাই লৈ সেইদিনা বয়জ হোষ্টেলৰ আগেৰে আহি আছিল অভিমন্যু আৰু সন্ধ্যা। পাটকাই পোৱাত সি ক'লে,

"তই যা এইখিনি। মই ৰুম যাওঁ।"

"হাৰে, এইকণ মোক থৈ আহিলে কি হয়নো?" সন্ধ্যাই কৈছিল।

"যা না এইকণ অকলেই। আগতে অকলেই যাঁৱ চোন। মোৰ হোষ্টেলত অলপ কাম আছে।" অভিমন্যুয়ে ক'লে। হয়, কাম থকাটো মিছা নহয়। বাহিৰত থাকোঁতেই তাক বিচাৰি ফোন কৰিছিল হোষ্টেলৰ পৰা কোনোবাই। কিন্তু সেইবুলি তাইক থৈ আহিওতো কাম কৰিব পাৰে। সন্ধ্যাৰ খং উঠিছিল। খঙেৰেই ক'লে,

"আগৰ কথা বেলেগ। এতিয়া থৈ আহিব লাগিব তই মোক।"

"চা সন্ধ্যা, এই টিপিকেল গাৰ্ল ফ্ৰেণ্ড টাইপ কামোৰ বিলাক নিদিবি মোক।"

অভিমন্যুৰ কথাত আচৰিত হোৱাৰ লগতে দুখো লাগিছিল সন্ধ্যাৰ। কিয় এনেকুৱা এই ল'ৰাটো। তাই কিবা ক'ব লওঁতেই অভিমন্যুয়ে পাটকাইৰ পৰা চাইকেল লৈ আহি থকা ল'ৰাটোলৈ চাই চিঞৰিলে,

"ঐ অনুৰণ, এইক হোষ্টেলত থৈ আহা গৈ না। মোৰ কাম অলপ আছে।"

অনুৰণে চাইকেল খন ৰখালে সিহঁতৰ সমুখত। "যাবি" বুলি কৈ অভিমন্যু পাটকাইৰ ফালে সোমাই গ'ল। সন্ধ্যাই তালৈ চাই ভোৰভোৰাইছিল।

"একদম সলনি নহ'ল এই ল'ৰাটো।"

"ব'লা" চাইকেল খন সোৱণশিৰীৰ ফালে পোনাই অনুৰণে ক'লে।

"হ'ব, পাৰিম মই। তুমি কষ্ট কৰিব নালাগে।" অভিমানৰ ৰংবোৰ সন্ধ্যাৰ মুখত। অনুৰণক তাতে এৰি খোজ লৈছিল তাই। পিছে পিছে চাইকেলখন ঠেলি ঠেলি আহি অনুৰণে সুধিলে,

Kaushik

"ইমান খং যে? কি কৰিলোঁ মই?"

"কি কৰিলোঁ? ৱাহ, তুমি নাজানাই কি কৰিলা? ফোন কৰিলে ৰিচিভ কৰিবলেও সময় নাই তোমাৰ। অভিৰ কথাটো গম পাইও মেচেজ এটা নাই।"

অনুৰণে শেঁতা হাঁহিৰে কৈছিল,

"ছৰী অ'। আচলতে মই ঘৰ যাব লগা হ'ল। সেইকাৰণে।"

"এই তিনিদিনৰ কাৰণে কি কৰিবলে ঘৰ গৈছিলা নো তুমি?"

"মানে, বস্তু এটা হেৰাইছিল।"

"কি বস্তু?"

"বৰ দৰকাৰী বস্তু এটা।"

"পালানে নাই?"

"নাপালোঁ। আচলতে বস্তুটো মোৰ নাছিল।"

অনুৰণৰ কথা একো বুজি নাপাই সন্ধ্যাৰ খেলি মেলি লাগিল। তাই আকৌ সুধিলে,

"কি কৈ আছা নো? এবাৰ কৈছা বস্তু হেৰাল। এবাৰ কৈছা তোমাৰ নহয়।"

অনুৰণে জোৰকৈ হাঁহি উঠিল। সন্ধ্যাই মাতটোত খং সানি সুধিলে,

"আকৌ হাঁহিবলৈ কি হ'ল হা? কথা এটা সুধিলে পেংলাই কিয় কৰা?"

"হাঁহি উঠে অ'। কেতিয়াবা এনেকুৱা কিছুমান বস্তু হেৰাইছে বুলি ভয় খাওঁ যিবোৰ কেতিয়াও মোৰ নাছিলেই।"

অনুৰণৰ কথাত চকু কেইটা ডাঙৰ কৰি সন্ধ্যাই সুধিলে,

"বাপ ৰে ! ক্যা বাত হে মিষ্টাৰ অনুৰণ হাজৰিকা, বেলেগ ডাইলগ চোন আজি। কেনেবাকৈ প্ৰেম চেম হোৱা নাইতো?"

"যদি হৈছে বুলি কওঁ?"

"কি কোৱা? সঁচা?"

Kaushik

আশ্বৰ্যত সন্ধ্যাৰ মাতটো ডাঙৰকৈ ওলাইছিল। অনুৰণৰ প্ৰেম? আচৰিত হ'বলগীয়া কথাই। সন্ধ্যাৰ প্ৰশ্নত অনুৰণে হাঁহি মাৰি ক'লে,

"তোমাৰ কেনেকুৱা লাগে?"

"মোৰ এনেকুৱা লাগিছে যেন তুমি মোক উল্লু বনাই আছা অথনিৰ পৰা।" সন্ধ্যাই এডাল চেলাউৰি উঠাই হাত দুখন সাৱটি ক'লে। তাইৰ ভাঁজটো চাই হাঁহি উঠিছিল অনুৰণৰ,

"গুড। মই ভবাৰ নিচিনা ইমানো উল্লু নহয় তুমি।"

"কি? তাৰমানে সঁচাকৈ ফাঁকি দি আছিলা ন? নে মোৰ পৰা লুকুৱাইছা?" সন্ধ্যাৰ যেন সন্দেহ মাৰ যোৱাই নাই। অনুৰণে এইবাৰ তাৰ শান্ত মাতটোৰে ক'লে,

"এনেই কৈ আছোঁ অ'। মোৰ প্ৰেম হ'লে তুমিয়েই প্ৰথমে গম পাবা দিয়া। ফাৰ্ষ্ট তোমাকে ক'ম।"

"সঁচাতো? প্ৰমিজ?" সন্ধ্যাই অনুৰণৰ সমুখত হাতখন পাতি ধৰিলে। অনুৰণেও নিজৰ হাতখন তাত ৰাখি ক'লে,

"প্ৰমিজ।"

কথা পাতি পাতি গৈ আছিল সিহঁত। চাইকেল খন ঠেলি সন্ধ্যাৰ কাষে কাষে অনুৰণ। হালধীয়া লাইটবোৰ জিলিকি উঠিছিল এন্ধাৰ হোৱাৰ লগে লগে। আকাশত শৰতৰ জোনাক। ৰাস্তাৰ কাষৰ বনবোৰত এটি দুটি জোনাকী উৰিছিল। মাজতে সন্ধ্যাই ফটো উঠাবলৈ চাইছিল যদিও মোবাইলৰ কেমেৰাত জোনাকী কেইটা নুঠিল। এৰা, কিছুমান বস্তুক কেমেৰাত তুলি ৰাখিব নোৱাৰি। চকুতেই সাঁচিব লাগে। সি থাকিও যায় চিৰদিনলৈ। কাৰণ চকুত যে কেতিয়াও ডিলিট অপচনটো নাই, নাই স্মৃতিতো, নাই প্ৰেমতো।

সিহঁত সোৱণশিৰী পাইছিল গৈ। সন্ধ্যা ভিতৰলৈ যাবলৈ লওঁতেই অনুৰণে ক'লে,

"বাই দা ৱে, তোমাৰ পাৰ্টিটো দিলে ভাল হয় সোনকালে।"

সন্ধ্যাই হাঁহি মাৰি ক'লে,

"তোমাৰ বন্ধুক খোজা।"

Kaushik

"সিতো দিবই। তোমাৰ পৰাও লাগিব।"

"একেবাৰে তোমাৰো প্ৰেম হৈ লওঁক। একেলগে পাৰ্টি কৰিম।" বুলি হাঁহি হাঁহি কৈ ভিতৰলৈ সোমাই গ'ল সন্ধ্যা।

"সেইটো দিন নাহে কেতিয়াও সন্ধ্যা।" অস্পষ্ট মাতেৰে অনুৰণে কৈছিল। সন্ধ্যা তেতিয়া তাৰ মাত শুনি পোৱাতকৈ বহু দূৰ পাইছিলগৈ। ভিতৰৰ পৰা এবাৰ উভতি চাইছিল সন্ধ্যাই। সদায় ৰৈ থকাৰ দৰে অনুৰণ তাত ৰৈ থকা নাছিল। সদায়ৰ দৰে উলটি চাই অনুৰণক নেদেখি কিবা যেন উকা উকা লাগিছিল সন্ধ্যাৰ। মুখৰ হাঁহিটো সেমেকাই তাই ৰুম পাইছিল গৈ।

বাহিৰৰ পৰা সন্ধ্যা নেদেখা হোৱাৰ পাছত তলৰ কাঞ্চন জোপাৰ আঁৰৰ পৰা অনুৰণ ওলাই আহিছিল। এটা শেঁতা হুঁমুনিয়াহ পেলাই বাহিৰলৈ বুলি চাইকেল পোনাইছিল। সোৱণশিৰীৰ সমুখৰ ৰুমটোত বাজি থকা জুবিনৰ গান এটা ভাঁহি আহিছিল,

"অ' মই লাজুকী ৰূপে চৰা,

ঐ মোক নাচাবি দূৰৈৰ পৰা,

অ' পলাশ শিমলু কি ৰং ৰঙে উতলা

নেজানো মন দোলে......."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 79

সময় আগবাঢ়িছিল কাঞ্চনৰ নগৰীত। সময়ৰ সোঁতত উটি গৈ আছিল সন্ধ্যাহঁতো। পৰীক্ষা, assignment, presentation সকলোৰে মাজতো অভি আৰু সন্ধ্যাৰ ফুলি উঠা কাঞ্চন পাহ বাঢ়ি গৈছিল। লাহে লাহে ক্লাছত জোকোৱাবোৰো কমিল। যি কাৰণে জোকাই আছিল সেইটো হ'লেই যেতিয়া জোকোৱাৰো কি অৰ্থ! যি নহ'লেও সৰু সুৰা মান অভিমানেৰে চলি আছিল সকলো।

সন্ধ্যাহঁতৰ জুনিয়ৰ খিনিৰ লগত বৰ বিশেষ চিনাকি হোৱা নাছিল। ফ্ৰেচাৰ্চত দেখিছিল যদিও সন্ধ্যাহঁতৰ ডিপাৰ্টমেণ্টৰ প্ৰগ্ৰেম বহু কেইটা হোৱাৰ বাবে ইমানবোৰ চিনাকি হোৱা গৈ নাছিল। Integrated MA, Integrated BA BEd, MA কে ধৰি মুঠ তিনিটা প্ৰগ্ৰাম মিলাই প্ৰায় এশ মানেই হয় এটা বেটছত। গতিকে সকলোৰে লগত চিনাকি হোৱাটো সম্ভৱো নহয়। তাৰ মাজতেই সিদিনা কেণ্টিনত কফি খাই থাকোঁতে হঠাৎ ছোৱালী এজনীয়ে সন্ধ্যাক মাতিলেহি,

"তুমি সন্ধ্যা বা ন?"

মৰমলগা মুখ থনেৰে অলপ শকত ছোৱালী জনীলৈ চাই চিনি নাপালেও সন্ধ্যাই "হয়" বুলি মূৰ দুপিয়ালে। তাই লগে লগে ক'লে,

"ইমান ধুনীয়া লাগিছিল তোমাক মিৰিজীয়ৰীত বা। বৰ ধুনীয়া কৰিছা।"

"থেংক ইউ দেই।" সন্ধ্যাই হাঁহিৰে ক'লে।

"বা, মই ৰিম্পী। ৰিম্পী শইকীয়া। তোমাৰ জুনিয়ৰ। BA BEd ৰ হয়। তোমাক মই আচামিজ চেণ্টাৰটো দেখিছোঁ। মানে মোৰো MIL আছে।" একে উশাহতে ৰিম্পীয়ে কৈ গ'ল। প্ৰথম লগ পাইয়ে বৰ মৰম লাগি গ'ল ছোৱালী জনীলৈ সন্ধ্যাৰ। ৰিম্পীয়ে অনৰ্গল কৈয়ে গৈছে,

"জানা সন্ধ্যা বা, তুমি আমাৰ ক্লাছৰ বহুত ল'ৰাৰ ক্ৰাছ হয়।"

সন্ধ্যা হাঁহিত থাকিব নোৱাৰা হ'ল। একেবাৰে অকণমাণি ছোৱালীৰ দৰে লুকঢাক নকৰাকৈ কথা কৈ যোৱা ৰিম্পীৰ সৰলতাই আকৰ্ষিত কৰিছিল তাইক। দুই এটা কথা পতাৰ পাছতে ৰিম্পীৰ লগত MIL ৰ কথা ওলাল। সিহঁতৰ লগৰ বহু কেইটাই এইবাৰ অসমীয়া পেপাৰ লৈছে। কিন্তু মেটেৰিয়েল কিছুমান হে বিচাৰি পোৱা নাই। সন্ধ্যাই তাইৰ পুৰণা নোটছ আৰু জেৰক্স কিছুমান ৰিম্পীক দিব পাৰিম বুলি ক'লে। ৰিম্পী যেন উৎফুল্লিত,

"সঁচা বা? বঢ়িয়া। তুমি দিয়া যদি বেলেগত নিবিচাৰোঁ মই।"

"ঠিকে আছে। আজি ইভনিং মই ওলাই আহোঁতে লৈ আহিম দিয়া। তোমাক হোষ্টেলৰ আগতে দি দিম।"

Kaushik

ৰিম্পী নিউ ৰমেনচ হোষ্টেলৰ। সন্ধ্যাই তাতেই তাইক দিব পাৰিব। সন্ধ্যাৰ পৰা বস্তুখিনি পাব বুলি ৰিম্পী আশ্বস্ত হ'ল। জুনিয়ৰ আৰু ছিনিয়ৰৰ সম্পৰ্ক এইখিনিতেই। যোৱা বছৰো সন্ধ্যাক ৰীণা বাই বহুখিনি পঢ়াত সহায় কৰিছিল। এতিয়া তাই কৰিছে। হয়তো পিছত ৰিম্পীয়েও কৰিব তাইৰ জুনিয়ৰক। এইদৰেই চলি থাকে। জীৱনৰ ভাগ বতৰাৰ শিক্ষাবোৰ এইদৰেই যেন আৰম্ভ হয়।

সন্ধিয়া ৰিম্পীক দিব লগা নোটছখিনি গোটাই আনিবলৈ ওলাইছিল সন্ধ্যা। তেনেকুৱাতে দেখে পখী ওলাই মেলি ৰেডি।

"ক'ত যাঁৱ অ' তই?"

"টাউন।" তাই ক'লে।

"এই সন্ধিয়া খন টাউন যাঁৱ যে?" তেতিয়া ছয় বাজি গৈছিল বাবে সন্ধ্যা আচৰিত হ'ল।

"আহি যাম দে সোনকালে" বুলি পখী ওলাই গ'ল। সন্ধ্যাৰ কোনোবা সময়ত এনেকুৱা লাগে যেন পখীৰ জীৱনটোত কিবা এটাতো আছে। অনবৰতে চিঞৰ বাখৰ, উৎপাত এইবোৰৰ মাজতে থাকি তাই যেন নিজৰ পৰাই নিজে পলাই ফুৰিছে। সন্ধ্যাৰ জানিবলৈ মন যায়। কিন্তু পখীয়ে নিজে কোৱা নাই বাবে সন্ধ্যাইও উপযাচি সোধা নাই। মানুহৰ ব্যক্তিগত জীৱনটোক সন্মান কৰিব জানে তাই। কিন্তু পখীৰ এই যাযাবৰী জীৱন শৈলীটোৱে এইখন ঠাইত কেতিয়াবা তাইক বিপদত নেপেলালেই হ'ল।

সোৱণশিৰীৰ পৰা ওলাই আহোঁতে ৰিম্পীলৈ ফোন কৰিলে সন্ধ্যাই। ফোন নম্বৰটো অথনিয়ে লৈ থৈছিল। কেৱল ৰিম্পীয়ে খুজিলে বুলিয়ে নহয়, এই ইংৰাজী বিভাগতো সন্ধ্যাহঁতৰ দৰেই ৰিম্পীহঁতেও অসমীয়াৰ পেপাৰ খন পঢ়িব খুজিছে সেইটোতে ভাল লাগিছে তাইৰ। আৰু পাৰে মানে সহায়ো কৰিছে।

পাটকাই বয়জ হোষ্টেলৰ গলীটোৰে সোমাই গ'লেই পাটকাইৰ সমুখতে নিউ ৰমেনচ খন। তাতে ৰিম্পীলৈ ৰ'লে সন্ধ্যা। ৰিম্পীয়ে নিজেই সোৱণশিৰীলৈ যাম কৈছিল যদিও সন্ধ্যায়ে আনিম ক'লে। অভিমন্যুৰ লগত ওলাই যাব বাবে তাই এনেও আহিবই। অলপ সময়ৰ পাছতে ৰিম্পী পালেহি। নোটছ খিনি পাই সন্ধ্যাক তাই সাৱটি ধৰিলে,

Kaushik

"তুমি বহুত মৰমিয়াল অ' বা। আজিৰ দিনত কোনেও এনেকৈ নিজৰ নোটছ দি নিদিয়ে কাকো।"

"হ'ব হ'ব। ভালকৈ পঢ়িবা।" সন্ধ্যাই ক'লে।

ৰিম্পীয়ে পাটকাইৰ ফালে চাই ক'লে,

"তুমি চাগে ভিনদেউলৈ ৰৈছা ন?"

সন্ধ্যাই হাঁহিলে মাত্ৰ।

"বৰ ধুনীয়া মিলিছা তোমালোক দেই। তুমি ৰিলেশ্যনত আছা বুলি জানি আমাৰ ক্লাছৰ দুটা মানৰ ট্ৰেজেদীয়েই।"

ৰিম্পীৰ কথাত হাঁহি হাঁহি সন্ধ্যাই ক'লে,

"ধেৎ, সিহঁত সৰুয়েই মোতকৈ।"

"সৰু হ'ল কি হ'ল। ডিপাৰ্টমেণ্টত নতুনকৈ আহি ছিনিয়ৰ ছোৱালী কেইজনীকে ল'ৰাবোৰে বেছিকৈ চাই। ছিনিয়ৰৰ মাজত যদি কাৰোবাক নাচালাই তেন্তে কিহৰ জুনিয়ৰ হে তুমি?" ৰিম্পীৰ কথা ক'লে শেষেই নহয়।

সন্ধ্যাই জোৰকৈ হাঁহি উঠিল। তাইৰ মনত পৰিছিল সিহঁত যোৱা বছৰ আহোঁতে অভিমন্যুয়ে যে প্ৰেৰণা বাক চিনাকি কৰাই দিবলৈ তাইক খাটনি ধৰিছিল। এৰা, এই ছিনিয়ৰ জুনিয়ৰৰ মাজত লুকাই লুকাই কৰা মৰমবোৰ চলিয়েই আহিছে আগৰ পৰা। পাটকাইৰ পৰা অভিমন্যু নামি অহা দেখি ৰিম্পীক বিদায় দি তাৰ ওচৰ পালেহি সন্ধ্যা।

"তই এইখিনিলৈকে সোমাই আহিলি যে? বাছ ষ্টেণ্ডটোত ৰোৱা হ'লেও হয়।"

আহিয়েই অভিমন্যুয়ে ক'লে। ৰিম্পীক লগ কৰিবলৈ নিউ ৱমেনচৰ মুখলৈকে গৈছিল সন্ধ্যা। তাৰ পৰা গোটেই পাটকাই হোষ্টেলখন সমুখৰ পৰা দেখা পায়। অভিমন্যুৰ কথাৰ অৰ্থ নুবুজি সন্ধ্যাই সুধিলে,

"কিয় কি হ'ব নো? মোৰ ভণ্টি এজনীক লগ কৰিবল লগাও আছিল নিউ ৱমেনচৰ। সেই কাৰণেহে।"

অভিমন্যুয়ে গহীন হৈ ক'লে,

kaushik

"ভন্টিক লগ কৰিব আহিল নে ল'ৰা চাবলে আহিছিলি?"

"অভি !! পাগল হৈছ নেকি তই?"

সন্ধ্যাই চিঞৰি উঠিল। সি একো নোকোৱা দেখি তাই আকৌ ক'লে,

"মোক কি তেনেকুৱা বুলি ভাব তই?"

"নাভাবো অ'। জাষ্ট কথাটো কৈছোঁ। তই অকল মোৰ হৈ থকাটো বিচাৰোঁ। আৰু নাহিবি এনেকৈ আগলে।" অভিমন্যুয়ে তাইৰ গালত মৰমেৰে বোলাই দিলে হাতখন।

সন্ধ্যাই বুজি পাইছিল যদিও কিয় জানো তাই সহজ ভাৱে ল'ব পৰা নাছিল কথাটো। তথাপি অভিমন্যুক একো নকৈ তাৰ লগতে গোবিনলৈ বুলি খোজ ল'লে। ভুলবোৰ যাৰেই নহওঁক, সম্পৰ্কবোৰতো আমাৰ। সন্ধ্যাই ক'ৰবাত পাইছিল এই কথাষাৰ। তাকেই মনত পেলাই নিশ্চুপ হৈ ৰৈছিল তাই।

Kaushik

ৰুমত সন্ধ্যা আহি পোৱা বহু দেৰি হ'ল। কিন্তু পখী এতিয়ালৈকে পোৱাহি নাই। ইন টাইমো পাৰ হওঁ হওঁ। ফোন কৰাত ক'লে পামগৈ এতিয়া। সন্ধ্যাৰ উচপিচনি বাঢ়িছিল। এই ছোৱালীজনীয়ে ক'তো একো অঘটন নঘটাইতো? পিছে সন্ধ্যাই ভয় কৰাটোৱেই হ'ল। চাৰে নটাৰ ইন টাইম পাৰ হৈ এঘাৰ বাজিবৰ হ'ল পখীৰ দেখা দেখিয়েই নাই। কমন ৰুমত attendance লওঁতে তাই গা বেয়া বুলি কৈ পখীৰ চহীটো মাৰি থৈ আহিল। কিন্তু তাই যদি ৰাতিটো নাহে সন্ধ্যাৰো অৱস্থা বেয়া কৰিব ৱাৰ্ডেনে। কি কৰোঁ নকৰোঁ লাগিছিল সন্ধ্যাৰ। কংকনাহঁতক ক'ব নেকি? কিন্তু কোৱাৰ লগে লগে সিহঁতে ৱাৰ্ডেনলৈ ফোন কৰিব আৰু ৱাৰ্ডেনে পখীৰ লোকেল গাৰ্জেন নাইবা ঘৰলৈ। তাৰ পাছত কি কি যে পৰিস্থিতি হ'ব কল্পনাও কৰিব নোৱাৰি। এই প্ৰথম তাই বিদিশা বাহঁতৰ অভাৱ অনুভৱ কৰিলে হোষ্টেলত। বিদিশা থকা হ'লে নিশ্চয় কিবা উপায় উলিয়ালে হেঁতেন। কিন্তু এতিয়া কি কৰা যায়। ইমান বাৰ ফোন মাৰিছে কিন্তু ৰিচিভ কৰা নাই। এবাৰ হোষ্টেলৰ গেটলৈ গৈ চালে তাই। গেটত তলা মাৰি দিছে। ছেহ, এই পখীজনীয়ে মানে নিজৰ লগতে তাইকো শেষ কৰিব। কথাবোৰ ভাবি থাকোঁতেই মোবাইলটো বাজিল। পখীয়ে কৰিছে। সন্ধ্যাই খৰধৰকৈ ফোনটো ধৰিয়ে ক'লে,

"পাগল নেকি তই? এইমাত্ৰ পামগৈ বুলি কৈ---"

তাইক শেষ কৰিব নিদি পথীয়ে ক'লে,

"চু----প। সেইবোৰ পাছত ক'ম। এতিয়া তই বাহিৰ আহ। আৰু ছিকিউৰিটী মাহীয়েৰৰ লগত লেকচাৰ মাৰ অলপ।"

"কি? কিবা হৈছে নেকি তোৰ?" সন্ধ্যাই একো বুজি পোৱা নাছিল।

"প্লিজ সন্ধ্যা, যিটো কৰিব দিছোঁ কৰ না।"

অগত্যা সন্ধ্যা ওলাই আহিল। ছিকিউৰিটী মাহীৰ ওচৰলৈ গৈ "মাহী কি কৰিছে" বুলি কথাৰ বকলা মেলিলে। মাহীও ছিকিউৰিটী ৰুমৰ পৰা ওলাই আহি বাৰাণ্ডাতে বৈ কথা পাতিবলৈ লাগিল। সন্ধ্যা গেটৰ ফালে মুখ কৰি থিয় হৈ থকাৰ বিপৰীতে মাহীজনী তাইৰ সমুখত গেটৰ ফালে পিঠি দি আছিল। সেই সুযোগতে ওখ গেটখনত এখন দুখন কৈ ভৰি দি বগাবলৈ লৈছিল পথী। বাৰাণ্ডাৰ পৰা তাইক দেখি থকা সন্ধ্যাৰ বুকু ধান বনাদি বানিব লৈছে। কেনেবাকৈ যদি মাহী ঘূৰি দিয়ে কেনেকুৱা বেয়াকৈ ফচিব দুয়োজনী। তাই যিমান পাৰে সিমান কথা উলিয়াবলৈ ল'লে। ইফালে পথী লাহে লাহে বগাই গেটখনৰ ওপৰেদি পাৰ হ'ল। পিছে নামিবলৈ লওঁতেই তলত ধমহকৈ পৰিল। মাহীয়ে লগে লগেই ঘূৰি দিলে "কোন ঔ" বুলি। সন্ধ্যাই ভয়ত মুখ ঘূৰাইছিল। আজি শেষ। কিন্তু পৰাৰ লগে লগে কাষত থকা ওখ গছজোপাৰ আঁৰত লুকাই পৰা পথীক মাহীয়ে দেখা নাপালে। সন্ধ্যাইও স্বস্তিৰ নিশ্বাস এৰিলে। মাহী আগবাঢ়ি যাবলৈ লৈছিলেই। সন্ধ্যাই "একো নাই মাহী, বান্দৰহে" বুলি উভতাই আনিলে। পথীক ভিতৰলৈ অনাৰ বুদ্ধি কৰি সন্ধ্যাই মাহীক মিছাকৈয়ে ক'লে,

"মাহী, টপ ফ্লৰত অলপ আগত কিবা চিঞৰ বাখৰ শুনিছিলোঁ। কিবা কাজিয়া লাগিছে নেকি"

লগে লগেই মাহীয়ে ভোৰভোৰাই ওপৰলৈ গ'ল। এই সুযোগতে সন্ধ্যাই পথীক হাতত ধৰি প্ৰায় চোঁচৰাই অনাদি ৰুমলৈ আনিলে।

ৰুমত সোমায়েই পথীৰ মুখৰ পৰা উৎকৎ গোন্ধটো সন্ধ্যাৰ নাকত লগাত তাই পথীক খঙেৰে সুধিলে,

"তই মদ খাই আহিছ পথী?"

"অঁ, অলপ খাইছোঁ।" পথীৰ উত্তৰ।

Kaushik

"এজনী ছোৱালী হৈ মদ খাই ৰাতি দেৰিকৈ---" সন্ধ্যাৰ কৈ নহওঁতেই পথীয়ে ক'লে,

"কিয়? মদ খোৱা, ৰাতি দেৰিকৈ অহা এইবোৰ অকল ল'ৰাৰ পৈতৃক সম্পত্তি নেকি? ছোৱালীৰ নহয়?"

সন্ধ্যাই পথীৰ গাত ধৰি বিচনাত বহাই লৈ বুজালে,

"চা পথী, এইবোৰ তৰ্ক কৰা বস্তু নহয়। আজি যদি তোক ছিকিউৰিটী মাহীয়ে দেখা হ'লে কি হ'ল হেঁতেন জান নে?"

পথী বিচনাত চিৎ হৈ পৰি দিলে। লগতে নিজকে কোৱাৰ দৰে অনৰ্গল কৈ গ'ল,

"লাভ নাই অ'। মই এজনী বেয়া ছোৱালী। চবেই জানে। মই মদ খাওঁ। মই ল'ৰাৰ লগত ঘূৰোঁ। মই কাজিয়া কৰোঁ। গতিকে মই কেৰেক্টাৰ লেচ। মই চালা বেয়া ছোৱালী। কিন্তু কি জান? আমাৰ নিচিনা প্ৰতিজনী বেয়া ছোৱালীৰে এটা বেয়া কাহিনী থাকে। সেই কাহিনীটোৱেই আমাক বেয়া কৰে। চাল্লা, মদ খাওঁ কাৰণে মই বেয়া। ভাল হৈ থাকি কি অস্কাৰ পাইছিলোঁ মই চালা। মই বেয়া। কিন্তু মোৰ মনটোক গচকি পেলোৱাবোৰ কি মহান--"

কথা কৈ কৈয়ে চকু মুদিলে পথীয়ে। এটা সময়ত মুখেৰে একো নোকোৱা হৈ টোপনিত ঢলি পৰিল তাই। সন্ধ্যাই তাইলৈ চালে। চকুপানী বৈ আছিল তাইৰ কথা কওঁতে। এৰা, সমাজে দিয়া এই বেয়া ভাল এইবোৰৰ আঁৰতো কিছুমান কাহিনী থাকে। সেইবোৰ সদায় আঁৰতে থাকে। বদনামী হয় মাত্ৰ পথীৰ দৰে ছোৱালীবোৰ। টোপনিত পথীৰ মুখখন শান্ত শিশুৰ দৰে লাগিল সন্ধ্যাৰ। তাইৰ চেণ্ডেল খুলি ভৰিকেইটা বিচনাত উঠাই গাত কাপোৰ খন দি দিলে সন্ধ্যাই। লাইটটো অফ কৰি নিজেও টোপনিত পৰিল।

Kaushik

মিড টাৰ্ম পাইছিলহি। অভিমন্যুৰ এইবাৰ CBCT ও আছে। সন্ধ্যাহঁতৰ লগত তাৰ পেপাৰ লাহে লাহে কমি আহিছে। তাৰ সলনি BEdৰ পেপাৰবোৰ বাঢ়িছে। সেইবাবেই এইবাৰ আগৰ দৰে ইমান লাইব্ৰেৰীত পঢ়া হোৱা নাই। Public Administrationৰ পেপাৰ লৈছিল সি CBCT ত। ভালকৈ পৰাও নাই এতিয়া। কিছুমান বস্তু অলপ টান। প্ৰিয়ানুজ পৰীক্ষাৰ কেইদিন ডিপাৰ্টমেণ্টতে ৰাতি দুটা তিনিটা লৈকে থাকে। অকলে অকলে ৰুমত অভিমন্যুৰ কিবা পঢ়া নহয় হে। পৰীক্ষাৰ কেইদিন সন্ধ্যাক আমনি কৰিবলৈও বেয়া

লাগে। ময়ূঁৰ প্ৰায়ভাগ সময়ে থাকেহি যদিও তাকো অভিমন্যুয়েই পঢ়িবলৈ পঠায়। পেপাৰ বেলেগ হোৱাৰ বাবে আজিকালি তাক সি আগৰ দৰে পঢ়াবও নোৱাৰে। মাত্ৰ জোৰ কৰি কৰি পঢ়িবলৈ বাধ্য কৰায়।

ডাইনিঙত ভাত খাই থাকোঁতেও CBCT ৰ পেপাৰ খনৰ কথাই মনলৈ আহি আছিল অভিমন্যুৰ। কি বা হয় গে ! তেনেতে পিছফালৰ পৰা কোনোবা এজন আহি তাৰ কাষতে বহি ক'লে,

"CBCT পঢ়ি হৈছে নে নাই?"

ল'ৰাজনক চিনি নাপালে যদিও "নাই হোৱা" বুলি মূৰ জোকাৰিলে সি। ল'ৰাজনে তেতিয়াহে চিনাকি দিলে। মাচ কম ডিপাৰ্টমেন্টৰ ল'ৰাজনৰ নাম তৌফিক মোমিন। অভিমন্যুৰ লগত একে CBCT। সেইখন পেপাৰৰ ষাঠিটা ল'ৰা ছোৱালীৰ মাজত চিনি নোপোৱাটোৱেই স্বাভাৱিক। পিছে তৌফিকে জংকিৰ চৰিত্ৰ ৰূপায়ণ কৰা অভিমন্যুক ঠিকেই চিনি পাইছিল।

"একো নাই, ইমান টান নহয়। মোৰ ৰুম আহিবা, 367। বুজাই দিম মই।" বুলি কৈ তৌফিক ডাইনিং ৰুমৰ পৰা ওলাই গ'ল। অভিমন্যুয়ে হাততে সৰগ পোৱাদি পালে। সঁচাই যদি তৌফিকে বুজাই দিয়ে তাক আৰু কি লাগে। ভাত খাই বাহিৰেই 367 পালেগৈ অভিমন্যু। সি ভবাতকৈও বহুত সহজ ভাৱে বুজাই দিলে তৌফিকে। অভিমন্যু আচৰিত হৈছিল। ইমান টান বিষয়বোৰ একেবাৰে সাধুৰ দৰে কেনেকৈ বুজাব পাৰিলে তৌফিক দাই? পঢ়া হোৱাৰ পাছত কেন্টিনতে একাপ একাপ কফি লৈ এপাক খোজকাঢ়ো বুলি ওলাই গ'ল তৌফিক আৰু অভিমন্যু। তৌফিকৰ ঘৰ শিৱসাগৰৰ ৰংঘৰ চাৰিআলিৰ ওচৰত। এইবাৰ এডমিচন লৈছে ইয়াত মাচ কমত। কথা কৈ ভাল পোৱা দাদাজনৰ লগত কথা পাতি কিবা যেন মনটোৱেই পাতল লাগি গৈছিল অভিমন্যুৰ। আজিৰ দিনটো পৰীক্ষাৰ আগত নিজৰ কাম বাদ দি আনক পঢ়োৱা মানুহ আছে নে? তাকো প্ৰথম চিনাকিতে? আছে, এই কাঞ্চনৰ চহৰ খনতে তৌফিকহঁতৰ দৰেই বহুতো সেউজীয়া মনৰ মানুহ এতিয়াও আছে।

তৌফিক দাৰ লগত কথা পাতি পাতি নীলাচলৰ সমুখ পাইছিলগৈ অভিমন্যু। তেনেতে সিফালৰ পৰা জোৰেৰে চাইকেল এখন আহি ৰৈ গ'ল। সিহঁত দুইটা উচপ খাই উঠিল। চাইকেলৰ পৰা নামি হাঁহি হাঁহি প্ৰিয়ানুজে ক'লে,

"সেইকণেই সাহস ন?"

Kaushik

"আৰে তুমি" তৌফিক আগবাঢ়ি গ'ল। অভিমন্যুয়ে তেতিয়াহে গম পালে তৌফিক আৰু প্ৰিয়ানুজ পুৰণি চিনাকি। প্ৰিয়ানুজ আৰু অভিমন্যু ৰুমমেট বুলিও তৌফিকে জনা নাছিল। গোটেই কেইটা চিনাকিয়েই ওলোৱাত ভাল আড্ডা এটা জমিল তিনিওটাৰে মাজত। তৌফিকেই আগভাগ ল'লে। তাৰ প্ৰিয় টপিক "ভূত"।

"আচ্ছা প্ৰিয়ানুজে কি ভাবা, কেম্পাছত ভূত আছে নে নাই?" তৌফিকৰ প্ৰশ্ন।

"কেম্পাছত আছে নে নাই নাজানো কিন্তু মোৰ ক্ষেত্ৰত মই প্ৰমাণ পাইছিলোঁ।" বুলি প্ৰিয়ানুজে আৰম্ভ কৰিলে তাৰ ভূতৰ অভিজ্ঞতা। সিহঁতৰ ঘৰত হোৱা ঘটনা। কথাখিনি কৈ থাকোঁতে জি জি জিলিৰ শব্দটো, পাতলকৈ পৰা কুঁৰলীৰ চাদৰ খন সকলোবোৰ যেন কিবা মায়াময় হৈ ধৰা দিছিল। মাজতে এবাৰ কাৰেণ্ট গ'ল। আকৌ এক শিহৰণ। কৃষ্ণপক্ষৰ ৰাতি, উকা কেম্পাছ আৰু ভূতৰ আড্ডা। যিয়ে পাইছে সি হে অনুভৱ কৰিব পাৰে ক'লৈকে কঁপে। প্ৰিয়ানুজৰ পিছতে তৌফিক দাইও ক'বলৈ লাগিল তাৰ ভূতৰ কাহিনী। সিহঁতৰ ঘৰৰ অলপ আঁতৰত থকা নামঘৰ এটাৰ কাহিনী। সি নিজেই দেখিছে হেনো বগা ধূতী পিন্ধা বুঢ়া ডাঙৰীয়া। এবাৰ সিহঁতৰ ঘৰলৈও আহিছিল বোলে।

"বুঢ়া ডাঙৰীয়া? সঁচা?"

অভিমন্যু আচৰিত হৈ সুধিলে।

"অঁ, কিয়? নামঘৰত থকা বুঢ়া ডাঙৰীয়া আমাৰ ঘৰলৈ আহিব নোৱাৰিব নি? হিন্দু মুছলিম আমি মানুহবোৰেহে চাওঁ তেখেত সকলে নাচাইতো।"

তৌফিকে হাঁহি হাঁহি কোৱা কথাষাৰে ভবাই তুলিছিল অভিমন্যুক। ধেমালি ধেমালিতে সি বৰ ডাঙৰ কথা এটা কৈ দিলে। এৰা, ধৰ্ম আৰু সম্প্ৰদায়ৰ নামত ভেদাভেদবোৰ আমি মানুহে হে সৃষ্টি কৰা। কিন্তু ওপৰততো সেই এজনেই। হিন্দু বুলি কেতিয়াবা সূৰ্যই বেছি পোহৰ দিব নে মুছলিম বুলি কেতিয়াবা জোনে বেছি পোহৰ দিব। কথাবোৰ তেনেকুৱাই। আমিবোৰে মাজতে যুঁজি মৰোঁ। আজি প্ৰথম দিনটোতে তৌফিক দাৰ লগত কথা পাতি মনটো কিবা এটা ফৰকাল হৈ পৰিছিল অভিমন্যুৰ। পৰীক্ষাৰ মানসিক চাপৰ মাজত এই সৰু সৰু আড্ডাবোৰেই মনবোৰক উজলাই ৰাখে ভাঙি নপৰাকৈ।

Kaushik

সময়বোৰ যে ইমান সোনকালে পাৰ হৈছে কোনেও তলকিব নোৱাৰিলে। চাওঁতে চাওঁতে মিড টাৰ্ম গৈ Techxetra আকৌ পালেহি। কিন্তু এইবাৰ খেলিমেলিটো তাতেই হ'ল। ইউনিভাৰ্চিটীৰ Techxetra আৰু সন্ধ্যাহঁতৰ গাঁৱৰ মহাৰাস একেদিনাই পৰিলে। বেচেৰীৰ এইবাৰ কোনটো এৰোঁ কোনটো ধৰোঁ অৱস্থা। গাঁৱৰ ভাগৱত পাঠ আৰু বছৰেকীয়া ৰাসখন তাই সৰুৰে পৰাই প্ৰিয়। আনহাতে তেজপুৰ ইউনিভাৰ্চিটীৰ শিক্ষাৰ্থী হিচাপে Techxetra ও এক আৱেগ। গতিকে কি কৰে তাইও বুজি পোৱা নাই। পথী কিন্তু খাটাং, তাই এইবাৰ Techxetra য়েই চাব। গাঁৱৰ ৰাস তাই সৰুৰে পৰা বহুবাৰ চাইছে আগলৈও চাব, কিন্তু Techxetra তো দুবাৰ হে পাব। গতিকে তাই ক্ষতি নকৰে। কিন্তু সন্ধ্যাই এতিয়াও ভাবিয়ে পোৱা নাই।

সেইদিনা অফ ক্লাছ থকাৰ বাবে কেন্টিনত টেবুল এখনতে কফি কাপ লৈ বহি আছিল তাই। লগতে লাইব্ৰেৰীৰ পৰা অনা উপন্যাস এখন, "সোণ হৰিণৰ চেঁকুৰ।" এই সময়ৰ কেন্টিনৰ শান্ত পৰিৱেশটো, একাপ কফি আৰু অনুৰাধা বাইদেউৰ উপন্যাস। আস, আৰু কি লাগে নো ! এতিয়া অভিৰ বি এডৰ ক্লাছ আছে বুলিহে। নহ'লে সি লগত থাকিলে ক'ত আৰু শান্তিৰে কিতাপ পঢ়িব পাৰি। পঢ়ি থকাৰ মাজতে অনুৰণ আহিছিল কেন্টিনলৈ। কোনোবা সোমাই অহা দেখি মূৰ তুলি চাইছিল তাই। অনুৰণে তাইক দেখিলেই নে নেদেখিলেই জানো কফি একাপ লৈ ওলাই যাব লৈছিল। তাই চিঞৰি মাতিলে,

"অনুৰ---ণ"

সি তাইৰ ওচৰলৈ অহাত সন্ধ্যাই ক'লে,

"কি হ'ল? মোক দেখিও নমতাকৈ গুছি গৈছিলা যে?"

"তুমি পঢ়ি আছা যে।"

"হ'ব আৰু, এনেই হে অফ ক্লাছ বুলি।"

"আৰু কোৱা।"

অনুৰণৰ এই "আৰু কোৱা"টো শুনিলেই কিবা এটা ভাল লাগে তাইৰ। যিকোনো কথায়ে আমনি নোপোৱা শুনি থকাও যে কোনোবা আছে, জীৱনটোত সেইখিনিতেই প্ৰাপ্তি।

"মাথাটো বেয়া হৈ আছে বুইছা" বুলি Techxetra ৰ কথাটো ক'লে সন্ধ্যাই,

Kaushik

"কি কৰোঁ বুজি পোৱা নাই, ইয়াত থাকোঁ নে ঘৰলৈ যাওঁ।"

অনুৰণে শান্ত মাতেৰে ক'লে,

"যিটো তোমাৰ মনটোৱে ভাল পাই সেইটো কৰা। চাবা যাতে এটা সিদ্ধান্ত লোৱাৰ পাছত কিয় এইটো কৰিলোঁ বুলি অনুতাপ কৰিব লগা নহয়।"

"সেইটোৱেইতো বুজা নাই। কি কৰোঁ নো?"

অনুৰণে তাইলৈ চাই ক'লে,

"ঘৰলৈ যোৱা।"

"উমম বুজিছোঁ। মই ঘৰলৈ গ'লে তুমি কামোৰ নোখোৱা যে মোৰ পৰা, সেই কাৰণে যাবলৈ কৈছা ন?"

সন্ধ্যাৰ কথাটোত অনুৰণে সামান্য হাঁহি ক'লে,

"নহয় হেই, তুমি থাকিলে জানো মই কামোৰ পাওঁ?"

"তেন্তে কিয় যাবলৈ কৈছা?"

"কাৰণ তুমি তাত বেছি ভাল পাবা।"

"তুমি কেনেকৈ জানিলা?"

"তোমাক বুজি পাওঁ।"

হয়, সন্ধ্যাৰ মনটোৱেও ক'ৰবাত ঘৰলৈকে যাবলৈ কৈ আছে। অনুৰণে সদায়ৰ দৰে আজিও তাইৰ মনটো পঢ়ি পেলাইছিল। তাই সুধিলে,

"ৰণ, কেনেকৈ বুজি পোৱা মোক ইমান?"

উত্তৰত মাত্ৰ "পঢ়া তুমি, মই আহিছোঁ" বুলি কৈ এটা হাঁহি মাৰি অনুৰণ উঠি গৈছিল। ঠিক হাঁহি নে হুঁমুনিয়াহ সন্ধ্যাইও বুজি নাপালে। হাঁহিও ইমান উদাস হ'ব পাৰে নে ! ওঁঠখন বহলাই ভাঁজ কৰা মানেই জানো হাঁহি বুজাই? হাঁহিতো সকলোৱে মাৰিব পাৰে। কিন্তু উৰণিৰ আঁৰৰ কাহিনী সকলোৱেই জানো বুজে !!

Kaushik

Techxetraৰ আগদিনা ঘৰ যাবলৈ ওলাল সন্ধ্যা। কংকনাহঁতে মাজতে ৰখাইছিল। কিন্তু তাই যাবলৈ ওলালেই। পখীয়েও জোৰ নকৰিলে। তাই জানে, ৰাস বিহু এইবোৰ সন্ধ্যাৰ তেজে তেজে আছে। এইবোৰৰ পৰা আঁতৰি তাই থাকিব নোৱাৰে। অভিমন্যুকো সন্ধ্যাই কৈছিল যোৱাৰ কথা। সিও যাবলৈয়ে দিলে। তাতে এইবাৰ Techxetraত কোনো গায়ক নহয়, কিবা বেণ্ড হে আহিব হেনোঁ। যিটো সন্ধ্যাই বেয়াই পায়। এই চিঞৰ বাখৰতকৈ তাইৰ খোল আৰু বাঁহী শব্দ কেইটাতে অনাবিল প্ৰশান্তি পাব। যাবলৈ বেগটো সাজু কৰিছিল হে। তেনেতে অভিমন্যুৰ ফোন আহিল সন্ধ্যালৈ,

"তই গ'লিয়ে নি?"

"নাই যোৱা। ওলাইছোঁহে। ক চোন।" সন্ধ্যাই ক'লে।

"তই যাব নালাগে।"

অভিমন্যুৰ গম্ভীৰ স্বৰ। হঠাৎ ইয়াৰ কি হ'ল। সন্ধ্যাই সি ধেমালি কৰিছে বুলিয়ে সুধিলে,

"কি হ'ল আকৌ তোৰ। বাছ পাবহি এতিয়া এইচব ধেমালি নকৰ।"

"ধেমালি কৰা নাই। সঁচাকৈ কৈছোঁ যাব নালাগে।"

"কিন্তু কিয়?"

"কাৰণ মই কৈছোঁ।"

"কিন্তু অভি, তই জানয়ে চোন মই ৰাসখন কিমান ভাল পাওঁ।"

"আৰু মোক? মোক ভাল নাপাঁৱ? Techxetraৰ দিনা গাৰ্ল ফ্ৰেণ্ড থকাৰ পাছতো বেলেগৰ লগত ঘূৰিম নি মই?"

অভিমন্যুৰ কথাত কি ক'ব ভাবি নাপালে সন্ধ্যাই। সি আকৌ ক'লে,

"মুঠতে একো নুবুজো মই। অকল তই কাষতে থকাটো বিচাৰোঁ সন্ধ্যা। কাৰণ ভাল পাওঁ তোক। আৰু একো নকওঁ। বাকী যি কৰ।"

সি ফোনটো থৈ দিলে। সাজু কৰি লোৱা বেগটো তললৈ থহি পৰিল সন্ধ্যাৰ। চেণ্ডেল যোৰো খুলি দিলে। বিচনাত পৰি ৰ'ল তাই অলপ সময়। যাব লগা বাছখন অলপ

Kaushik

পাহৃতে পাৰ হৈ গ'ল। চকু দুটা মুদি দিলে তাই। বুকুত সোপা মাৰি ধৰা বিষবোৰ এটোপাল অশ্ৰুৰে বৈ গাৰুটো তিয়াইছিল।

"তোমাক বুজি পাওঁ" অনুৰণৰ এই শাৰীটো কিয় জানো মনলৈ আহিছিল সন্ধ্যাৰ। লগতে মনত পৰিছিল অলপ আগতে অভিমন্যুয়ে প্ৰচণ্ড অভিমানেৰে কোৱা কথাটোও, "একো নুবুজোঁ মই।"

নাজানে সন্ধ্যাই কি আছিল অভিমন্যুৰ সুৰটোত। ভালপোৱা জনৰ প্ৰতি অভিমান? নে সম্পত্তিৰ প্ৰতি অধিকাৰ?

(আগলৈ)

#নিৰিবিলি

Part 80

Kaushik

প্ৰেম মানে সদায় অনুপ্ৰেৰণা হে, পৰিচালনা নহয়। য'ত প্ৰিয়জনক নিজৰ অধিকাৰ সাব্যস্ত কৰি পৰিচালনা কৰা হয়, সেয়া হয়তো সঁচা বন্ধুত্ব হ'ব পাৰে ; প্ৰেম নহয়। কিন্তু অনুভৱতকৈ অনুমানক অধিক গুৰুত্ব দিয়া অভিমন্যু আৰু সন্ধ্যা কোনেও এই কথা তেতিয়ালৈকে অনুধাৱন কৰাই নাছিল। ফলস্বৰূপে নিজৰ ইচ্ছাক বিসৰ্জন দি সন্ধ্যাই স্বীকাৰ কৰি লৈছিল অভিমন্যুৰ অধিকাৰ।

"কি? তই ৰাসলৈ নাযাৱঁ?" পখী আচৰিত হৈছিল ঘূৰি আহি সন্ধ্যাক ৰুমত দেখি। বেগত ভৰোৱা কাপোৰ খিনি উলিয়াই সন্ধ্যাই ক'লে,

"নাযাওঁ, সি মানা কৰিছে।"

"সন্ধ্যা তই বলিয়া---" পখীৰ কথাটো শেষ নহওঁতেই সন্ধ্যাৰ ফোনটো বাজিল। মাকৰ ফোন,

"ৰুণ, বাছত উঠিলিনে? কেইটাত পাবিহি?"

ডিঙিলৈকে উজাই অহা বুকুৰ বিষখিনি জোৰেৰে ভিতৰলৈ ঠেলি সন্ধ্যাই ক'লে,

"মই নাযাওঁ মা। অলপ কাম ওলাল ইয়াত।"

ফোনটো থোৱাৰ পাছতে অথনিৰ পৰা চেঁপি ৰখা কান্দোনখিনি ওলাই আহিল সন্ধ্যাৰ। পখীয়ে খঙেৰে ক'লে,

"এতিয়া কান্দি কি লাভ হা? তহঁতৰ নিচিনা ছোৱালীবোৰেই বয় ফ্ৰেণ্ডবোৰক মূৰৰ ওপৰত তুলি লৱ আৰু পাছত ল'ৰাবোৰ এনেকুৱাই বুলি ট্ৰেজেডী ফালি মৰ। ধুৰ। হ'পলেচ।"

খঙত দুৱাৰখন জোৰেৰে মাৰি ৰুমৰ পৰা ওলাই গ'ল পখী। সন্ধ্যাই উচুপি আছিল। কিয় অভিমন্যুয়ে বুজিবলৈ চেষ্টা নকৰে তাইক। ভালপোৱাত ইজনে সিজনক বুজাটোৱেইতো আচল কথা। তেন্তে? অভিমন্যুয়ে ফোন কৰিলে। সন্ধ্যাই ভাবিলে তাই শেষ বাৰৰ বাবে তাক বুজাই চাব। ফোনটো উঠাওঁতেই সি সুধিলে,

"গ'লি নে আছ?"

"নগ'লো। কিন্তু অভি মই---"

সন্ধ্যাৰ কৈ শেষেই নহ'ল। সি উৎফুল্লিত হৈ প্ৰায় চিঞৰাৰ দৰে ক'লে,

"থেংক ইউ বে। মই জানোতো মই মানা কৰাৰ পাছত তই কেতিয়াও নাযাৱ। এই কাৰণেতো ভাল লাগে তোক। ইভনিং লগ পাম। পূৰা নাচিম একলগে Techxetra ত। এইবাৰ এজ এ কাপল আমাৰ ফাৰ্ষ্ট প্ৰগ্ৰাম না! চ' সোনকালে ওলাই থাকিবি। এতিয়া বাই হা।"

Kaushik

ফোনটো ৰাখিলে সি। যেন যুদ্ধ জয়ৰ উছাহ। নাই, সন্ধ্যাৰ উচুপনি খিনি তাইৰ বুকুৰ বিষটো অভিমন্যুৰ কাণত নপৰিল। মোবাইলটো বিচনাতে দলিয়াই সন্ধ্যা বাগৰি দিলে অলস ভাৱে।

"য়েচ, মই জানিছিলো তাই নাযায়।"

ফোনটো কাটি ফুৰ্তিত নিজকে কোৱাৰ দৰে ক'লে অভিমন্যুয়ে। কাষতে কিতাপখন চাই থকাৰ পৰা মূৰটো নোতোলাকৈয়ে ময়ূঁৰে সুধিলে,

"তাইক কিয় যাব নিদিলি?"

"হাৰে আজি Techxetra হয়, তাই থকাৰ পাছতো মই অকলে ঘূৰিম নি?"

"তাই কি বিচাৰে সুধিছিলি?"

ময়ূঁৰৰ প্ৰশ্নত ওচৰলৈ আহি তাৰ থুঁতৰিটোত ধৰি কিতাপৰ পৰা মুখখন ওপৰলৈ উঠাই অভিমন্যুয়ে ক'লে,

"তাই মোৰ গাৰ্ল ফ্ৰেণ্ড। গতিকে মোৰ কথা শুনিব লাগিবই। তই সৰু হৈ আছ, এইবোৰ নুবুজিবি। বাই, মই যাওঁ।"

সি ওলাই গ'ল। ময়ূঁৰে তাৰ ফালে চাই এক বিদ্ৰূপ মিহলি হাঁহি মাৰিলে। সময় প্ৰায় সন্ধিয়া হৈছিল। আহোঁ আহোঁ কৰা চেঁচা বতাহজাক এন্ধাৰখিনিৰ লগতে সোমাই আহিছিল ৰুমটোলৈ। লগতে সেই বিশেষ ছাঁয়া মূৰ্তিটো। ময়ূঁৰে সুধিছিল,

"প্ৰেম জানো এয়া?"

"মুঠেই নহয়।" ছাঁয়াটোৱে উত্তৰ দিলে।

"তেন্তে? কোনে বুজাব?"

"সময়ে। যি শব্দৰ ভাষা নুবুজে, তেওঁক সময়ে নিজেই অনুভৱ কৰোৱাই।"

ছাঁয়াটোৱে ময়ূঁৰৰ মূৰটো আনি নিজৰ কান্ধত পেলাই দিলে। এক পৰম প্ৰশান্তিত ময়ূঁৰে মাতিলে,

"ৰাধা"

ৰুমটোত তেতিয়া সম্পূৰ্ণ এন্ধাৰ। বতাহজাক বৰ চেঁচাকৈ বলিছিল।

Kaushik

টক্ টক্। দুৱাৰখনত এটা শব্দ হ'ল। কোনোবা জুনিয়ৰেই হ'ব চাগে। চিনাকি হ'লেতো চিধা সোমায়েই আহে। বিচনাৰ পৰাই সন্ধ্যাই মাত দিলে,

"সোমাই আহা।"

"আই ঐ মোৰ কলিজা জনী।" বুলি চিঞৰ এটা মাৰি সোমাই আহিল বিদিশা।

বিচনাৰ পৰা একে জাঁপে সন্ধ্যা নামি আহিল,

"বিদিশা বা----" বুলি সাৱটি ধৰিলে তাইক।

বহু দিনৰ মূৰত লগ পোৱাৰ উছাহখিনি পাৰ কৰাৰ পাছত বিচনাত বহি লৈ বিদিশাই ক'লে,

"দীপাও আহিলহেঁতেন। তাই আকৌ কলেজ এখনত সোমাইছে নহয়। ছুটীয়ে নাপালে। ৰীণা নিজৰ কামত বিজি। মইও নাহোঁ বুলিয়ে ভাবিছিলোঁ। পিছে তোৰ কথা মনত পৰিয়ে আহিলোঁ। এইবাৰ বোলো জোঁৱাইৰ লগত Techxetra চাবলৈ পাই আমাৰ সন্ধ্যা বাইদেউৰ কেনেকুৱা ফুৰ্তি বা?"

বিদিশাৰ কথাত একো নকৈ মাত্ৰ হাঁহিৰে নিমাত হৈ আছিল সন্ধ্যা। বিদিশাই আকৌ ক'লে,

"মই আগতেই কৈছিলোঁ নে? তেতিয়া আকৌ মোৰ কথাত পাত্তাই নিদিয়। এতিয়া? ইমান ভাল লাগিল খবৰটো পাই। সি বৰ মৰম কৰে চাগে ন তোক?"

সন্ধ্যাৰ চকু চলচলীয়া হৈ আহিছিল। বিদিশা আচৰিত হ'ল,

"সন্ধ্যা? এই? কি হৈছে তোৰ? কচোন। মই আহিলোঁ নহয়। চব ঠিক হৈ যাব। কচোন মোক।"

সন্ধ্যা উচুপি উচুপি কথাবোৰ কৈছিল বিদিশাক। কিদৰে সিহঁত সম্পৰ্কত অহাৰ পাছত অভিমন্যু সলনি হৈছে। কিদৰে তাইৰ ভাল লগাবোৰ তাৰ বাবে অনৰ্থক হৈ পৰিছে। কথাবোৰ শুনি সন্ধ্যাৰ চকুপানী মচি দি বিদিশাই কৈছিল,

"ধেৎ আঁকৰীজনী। এইবোৰ কিবা কথা হ'ল নে? সি তোক মৰম কৰে কাৰণেহে নিজৰ কাষতে থকাটো বিচাৰে। তোক বেয়া পোৱা হ'লে তই গুছি গ'লে বেলেগ ছোৱালীৰ লগত ঘূৰি থাকিলহেঁতেন। এইবোৰ ভাবি দুখ কৰি নাথাকিবি।"

এইবুলি বিদিশাই তাইৰ বেগৰ পৰা পেকেট এটা উলিয়াই সন্ধ্যালৈ দি ক'লে,

"এইটো পিন্ধি যা। চাবি অভিমন্যুয়ে তোৰ পৰা চকুৰে আঁতৰাব নোৱাৰিব।"

সন্ধ্যাই পেকেটটো খুলি চাই আচৰিত হ'ল। এটা ধুনীয়া ফ্ৰক। কটা হাতৰ আঁঠুলৈকে পৰা ফ্ৰকটোৰ ওপৰ অংশটো বগা। ডিঙিৰ ওচৰতে ৰূপালী ৰঙৰ ডিজাইন এটা। আৰু তলৰ স্কাৰ্টৰ দৰে অংশটো জিনচৰ, নীলা। দেখাতেই লাগে ফ্ৰকটো দামী। সন্ধ্যাই বিদিশালৈ চাই ক'লে,

"কিয়নো আনিব লাগে বা এইবোৰ?"

Kaushik

"কিয় নানিম? কালি মোলে শ্বপিং কৰিবলৈ গৈছিলোঁ। ফ্ৰকটো দেখিয়ে তোলে মনত পৰিল। লৈ আহিলোঁ। আজি প্ৰগ্ৰামত এইটোৱে পিন্ধিবি।"

দুই এষাৰ কথা পাতি বিদিশা ওলাই গ'ল। তাইৰ লগৰ আৰু দুজনীমান আহিছে। লগ কৰিব। প্ৰগ্ৰামো আৰম্ভ হ'বই আৰু। ফিল্ডত চাউণ্ড বক্সৰ কঁপাই তোলা মাতে পৰিৱেশটো উৎসৱমুখৰ কৰিছে লাহে লাহে। অভিমন্যুয়ে ফোন কৰিলে সন্ধ্যালৈ। সি আহিব এতিয়া। তাইক ওলাই তললৈ যাব দিছে। হাত মুখ ধুই সন্ধ্যাই বিদিশাই দিয়া ফ্ৰকটো পিন্ধি তললৈ নামি আহিল। চুলি কেইডাল মেলি লৈছে। কৰিডৰত পল্লৱীয়ে দেখি সুঁহুৰি মাৰি জোকালে,

"আজি TUৰ ল'ৰা শেষ।"

সন্ধ্যাই হাঁহিটো মুখত লৈ তল পালেহি। অভিমন্যু ৰৈয়ে আছিল। তাইক দেখাৰ লগে লগেই সি চেলাউৰি কোঁচাই ক'লে,

"কি পিন্ধিছ এইবোৰ?"

"বিদিশাই বা আহিছে। তাই গিফ্ট দিছে। কেনেকুৱা লাগিছে?"

সন্ধ্যাৰ আগ্ৰহখিনিত অৱহেলাৰ আঁচোৰ পেলাই অভিমন্যুয়ে কঠোৰ ভাৱেৰে কৈছিল,

"একদম ফাল্টু লাগিছে। কোনো দৰকাৰ নাই এই হাত কাটা চুটি ফ্ৰক ডাল পিন্ধিবলে। বেলেগ কিবা পিন্ধি আহ যা। জিনছ আৰু স্পৰ্টিং।"

"কি? কি হে পাইছে তোক? মই কি আজি প্ৰথম পিন্ধিছোঁ নেকি ফ্ৰক? আগতেওতো--"

সন্ধ্যাক শেষ কৰিব নিদি অভিমন্যুয়ে ডাঙৰ মাতেৰে ক'লে,

"আগৰ কথা বেলেগ আছিল সন্ধ্যা। এতিয়া তই মোৰ। গতিকে তোলে আন কোনোবাই চোৱাটোও মই সহ্য নকৰোঁ। চ' প্লিজ। যা আৰু চেঞ্জ কৰি আহ।"

নাই, সন্ধ্যাৰ প্ৰতিবাদ কৰাৰ শক্তি নাই। যিটো অভিমন্যুয়ে তাইক পৃথিৱীৰ লগত যুঁজিবলৈ শিকালে, প্ৰতিবাদ কৰিবলৈ শিকালে, আজি সিয়েই যেতিয়া এইদৰে তাইক বান্ধিব ধৰিছে তাই নিশ্চুপ যোৱাৰ বাহিৰে উপায় কি? মুখেৰে টু শব্দ এটা নকৰি ফ্ৰকটো সলাই জিনচ আৰু হাত দীঘল টপ এটা পিন্ধি আহিলে সন্ধ্যাই। অভিমন্যুয়ে সন্ধ্যাৰ গালখনতে লাহেকৈ চিকুট এটা মাৰি ক'লে,

Kaushik

"ডেটচ মাই গাৰ্ল।"

নাই, একো শিহৰণ হোৱা নাছিল সন্ধ্যাৰ। তথাপি মুখেৰে হঁহাৰ দৰে কৰি আগবাঢ়িছিল তাৰ লগত। হয়, সন্ধ্যাই সাধাৰণতে চৰ্টচ নিপিন্ধে। কিন্তু একেবাৰেই যে নিপিন্ধে সেইটোও নহয়। মাজতে সিদ্ধাৰ্থৰ জন্মদিনৰ পাৰ্টি দিছিল টাউনৰ ৰেষ্টুৰেণ্ট এখনত। তাতো তাই চৰ্টচ পিন্ধিয়েই গৈছিল। অভিমন্যুও গৈছিল। তেতিয়াতো সি একো কোৱা নাছিল। সন্ধ্যাই ক'ত কি পিন্ধিব লাগে ভালদৰে জানে। আজি তাই গাঁৱৰ বয়সস্থ লোকৰ আগত বিয়া এখন খাবলৈ গ'লে নাইবা নামঘৰলৈ যাওঁতে কেতিয়াও এনে কাপোৰ নিপিন্ধে, কিন্তু ইউনিভাৰ্চিটীত লগৰ খিনিৰ লগত পিন্ধাত আপত্তি কি? এজনী ছোৱালী হিচাপে আবুৰ কাক কয় সন্ধ্যাই বুজি পাই, কিন্তু কাপোৰে জানো এজনী ছোৱালীৰ চৰিত্ৰ নিৰ্ণয় কৰে? যদি মদৰ গোন্ধ এটা ল'ৰাৰ চৰিত্ৰৰ পৰিচয় নহয়, তেন্তে কাপোৰ এজনী ছোৱালীৰ চৰিত্ৰৰ পৰিচয় কিদৰে হ'ব পাৰে? কিন্তু এইবোৰ কথা অভিমন্যুক সুধিবলৈ যোৱা মানে কাজিয়া আৰু চিঞৰ বাখৰ। অগত্যা সন্ধ্যা মনে মনে থাকিল।

Techxetraৰ ফিল্ডত এইবাৰ সন্ধ্যা আৰু অভিমন্যু অকলেই ঘূৰিছে। চিনাকি যাকেই পাইছে চবেই হয়তো হাঁহি এটা মাৰি নহ'লে চকুৰে ইংগিত দি আঁতৰি গৈছে। সন্ধ্যাৰ মন গৈছিল যোৱা বাৰৰ দৰে জুৰিহঁত চবৰে লগত একেলগে নাচিবলৈ। কিন্তু সিহঁতক দেখি জুৰিহঁতো হাঁহি মাৰিয়ে আঁতৰিল। আগৰ দৰে ওচৰ চাপি কোনেও জোকোৱা নাই। কোনেও উকিও মৰা নাই। ইমান হুলস্থুলৰ মাজতো কিয় জানো খুব খালী খালী লাগিছিল সন্ধ্যাৰ। মাজতে অভিয়ে ক'লে,

"ৰচোন এইখিনিতে, মই আহি আছোঁ।"

"ক'লৈ যাৱ?"

সন্ধ্যাৰ কথাৰ উত্তৰ নিদি অভিমন্যু আগুৱাই গ'ল। অলপ আগত ৰৈ থকা ল'ৰা ছোৱালী কেইটা মানৰ ওচৰ পালেগৈ সি। হয়তো তাৰ চিনাকি। হাঁহি হাঁহি কথা পাতিছে সিহঁতে। ছোৱালীজনীয়ে হাঁহিৰ মাজতে এবাৰ আঁকোৱালিও ধৰিছে অভিমন্যুক। কথা পতাৰ ঢঙতে গম পোৱা যায় যে ল'ৰাকেইটাৰ লগতে ছোৱালী কেইজনীও নিচাত আছে। সন্ধ্যাই অশান্তিৰে মুখ ঘূৰাওঁতে দেখিলে ষ্টেজৰ ফাললৈ অকলে গৈ আছিল অনুৰণ। সন্ধ্যাই চিঞৰি মাতিলে। হুলস্থুলত শুনা নাই সি। তাই ফোনে লগালে,

Kaushik

"কি হ'ল? মাতিলেও শুনা নোপোৱা যে?"

"মাতিছিলা নি? ক'ত আছা?"

"তুমি যিফালেৰে পাৰ হৈ গৈছা তাতেই।"

সন্ধ্যাই এবাৰ হাতটো দাঙিও দেখুৱালে। অনুৰণ উভতি আহিল তাইৰ ওচৰলে,

"ঘৰলৈ নগ'লা?"

"নাই নগ'লোঁ।"

"ভালেই। অভিমন্যু ক'ত?"

সন্ধ্যাই অলপ আঁতৰত থকা জুমটোৰ ফালে মুখ ঘূৰাই দেখুৱালে। অনুৰণে সুধিলে,

"খং উঠিছে?"

"নুঠিব নি কিবা। তাৰ কাৰণেই ঘৰলে ঘৰ নগ'লো। আৰু সিয়ে এতিয়া এইয়া।" সন্ধ্যাই মুখখন ফুলাই ক'লে।

Kaushik

"ৰ'বা" বুলি অনুৰণ জুমটোৰ ফালে আগবাঢ়ি গ'ল। জুমটোত পাটকাইৰে দ্বীপ, ৰক্তিম আৰু বিদ্যুতহঁত আছিল। লগতে সিহঁতৰ গাৰ্লফ্ৰেণ্ড। অনুৰণ আগুৱাই গৈয়ে দ্বীপহঁতৰ ডিঙিত ধৰি ক'লে,

"ঐ, ইয়াত কি আড্ডা মাৰিছ বে? আগলে ব'ল না। বাহিৰ ব'ল নহ'লে। আৰু আনি থৈছোঁ।"

"কি? সঁচা? ব'ল বে ব'ল।" সিহঁত গোটেই কেইটাই চিঞৰি উঠিল।

অনুৰণে অভিমন্যুলৈ চাই ক'লে,

"অভিমন্যু, যাবা নি?"

"নাই, যোৱা তোমালোক। এই সন্ধ্যা ৰৈ আছে।" বুলি অভিমন্যু আহি সন্ধ্যাৰ ওচৰ পালেহি। তাইক হাতত ধৰি আগবাঢ়িছিল ষ্টেজৰ ফালে। তাৰ ঠিক বিপৰীত ফালে ৰক্তিমহঁতৰ লগত গৈ থকা অনুৰণে এবাৰ উলটি সন্ধ্যালৈ চালে। তাইও হাঁহিলে অনুৰণলৈ চাই। সি হাতটো মুঠি মাৰি বুঢ়া আঙুলিটো থিয় কৰি দাঙি তাইলৈ দেখুৱাই লগৰ কেইটাৰ লগতে আগবাঢ়িল।

আগৰ বাৰৰ দৰে বৰ বিশেষ ভাল লগা নাছিল Techxetra। আচলতে গায়ক এজন মাতিলে যিখিনি ফুৰ্তি হয়, বেণ্ডবোৰত সেইটো নহয় চোন। মাজতে প্ৰিয়ানুজ আৰু তৌফিকক লগ পালে অভিমন্যুহঁতে। সন্ধ্যাৰ লগত চিনাকি কৰি দিলে অভিমন্যুয়ে। তৌফিকে তাৰ মাজতেই অভিমন্যুক "লাকী কিন্তু দেই তুমি" বুলি জোকাবলৈও নেৰিলে। প্ৰিয়ানুজক লগ নাপালেও টক শ্ব'বোৰত দেখি সন্ধ্যাইও চিনি পাইছিল। অলপ সময় তাতেই কথা পাতিলে সিহঁতে।

"তৌফিক দা, পিছে অকলে অকলে যে?"

অভিমন্যুৰ কথাত প্ৰিয়ানুজে হাঁহি মাৰি ক'লে,

"আমাৰ মোমিনে চকুৱে চকুৱে চাই থাকোঁতেই যাব আৰু বুইছা।"

"কোনোবা আছে যদি কওঁক। মই সহায় কৰিমতো।" সন্ধ্যাই ক'লে। প্ৰিয়ানুজে কিবা ক'ব লওঁতে "একো নাই, একো নাই" বুলি তৌফিকে আঁতৰাই লৈ গ'ল তাক। সন্ধ্যাহঁতে হাঁহি মাৰি চাই ৰ'ল মাত্ৰ।

প্ৰগ্ৰাম চাই অকল সন্ধ্যাৰে নহয়, অভিমন্যুৰো আমনি লাগিছিল। তাতে অকল সিহঁত দুটাই ঘূৰি অথনিৰ পৰা একো ভালো লগা নাই। সেইবাবেই সি ক'লে,

"ব'ল অলপ খোজ কাঢ়ি আহোঁ। কিবা ব'ৰ হে লাগিছে।"

সন্ধ্যাই ভালেই পালে। সিহঁত দুয়োটা SOEৰ ফালে আগবাঢ়িল। নিৰিবিলি পাৰ হৈয়ে ভিচি বাংলো আৰু গেষ্ট হাউচৰ মাজৰ সৰু গলীটোৰে আগুৱালে সিহঁতে। ৰাস্তাৰ দুয়োকাষে গছেৰে ভৰি থকা এই গলীটোত লাইট নাই। মাত্ৰ নিৰিবিলিৰ সমুখৰ পৰা, কাষৰ গেষ্ট হাউচৰ পৰা আৰু গলীটো য'ত শেষ হৈছে গৈ তাত থকা ষ্ট্ৰীট লাইটৰ পৰা পাতল পোহৰৰ ৰশ্মি কিছুমানহে গছৰ পাতবোৰৰ ফাঁকেৰে আহি লুকাভাকু খেলিছেহি ৰাস্তাটোত। সাধাৰণতে সন্ধিয়াৰ সময়খিনিত এই ঠাইকণত বেছি ভাগ প্ৰেমিক চৰাই উৰেহি। জনচক্ষুৰ পৰা আঁতৰত আছুতীয়াকৈ প্ৰিয়জনৰ লগত কিছু মূহুৰ্ত নিবিড় ভাৱে কটাবলৈ গোটেই ইউনিভাৰ্চিটীৰ ভিতৰতে এই ঠাই ডোখৰ যেন আটাইতকৈ উত্তম। পিছে আজি Techxetraৰ বাবেই হ'বলা অভিমন্যুহঁতৰ বাহিৰে তাত কোনোৱে নাছিল। গলীটো নিৰ্জন হৈ আছিল। এন্ধাৰৰ মাজতে সন্ধ্যাৰ কঁকালত ধৰি গাৰ কাষলৈ টানি আনিলে অভিমন্যুয়ে। ৰাস্তাটোৰ মাজতে ৰৈ গ'ল সিহঁত। এন্ধাৰতেই

Kaushik

সন্ধ্যাক বুকুৰ মাজত আঁকোৱালি ধৰিলে সি খুব জোৰকৈ। সন্ধ্যাইও চকু মুদি সোমাই পৰিছিল তাৰ বুকুত। কিছু সময় পাৰ হ'ল। এইবাৰ অভিমন্যুয়ে সন্ধ্যাৰ মুখখন দুহাতেৰে তুলি নিজৰ মুখৰ ওচৰলৈ আনিছিল। সিহঁত দুইটাৰে মাজত মাত্ৰ কেইটিমান উশাহৰ পাৰ্থক্য। সন্ধ্যাৰ বুকুখন দুৰু দুৰু কঁপিছিল। হয়তো অভিমন্যুৰো। অভিমন্যুৰ তপত নিশ্বাস সন্ধ্যাৰ ওঁঠত লাগিছে। সিহঁত আগবাঢ়িছিল এটি নিবিড় মূহুৰ্তলৈ। কিন্তু দুয়োৰে ওঁঠ দুটি ঠিক কাষলৈ আহিও হঠাৎ দুয়ো ৰৈ গ'ল। কেই মূহুৰ্ত মান তেনেকৈয়ে ৰৈ এক অস্বস্তিত একে সময়তে দুফালে আঁতৰি গৈছিল অভিমন্যু আৰু সন্ধ্যা। কিবা যেন অপৰাধবোধে বেৰিছিল সিহঁতক। নিবিড় মূহুৰ্তৰ শিহৰণ যেন সিহঁত এটাৰো গাত নাছিল। চাব পৰা নাছিল এটাই আনটোৰ মুখলৈ। কিন্তু কিয়? সিহঁততো প্ৰেমৰ সম্পৰ্কত আছে। তেন্তে ইমান কাষত পাইও কিয় দুয়ো এক অজান অস্বস্তিত ভুগিছিল। সকলোৰে সমুখত যেতিয়া সন্ধ্যাক অভিমন্যুয়ে আঁকোৱালি ধৰে তেতিয়াতো এই অস্বস্তি নাথাকে। মাজতে এদিন ক্লাছত কিবা কথা সন্ধ্যাই ওফোন্দ পাতোঁতে অভিমন্যুয়ে সকলোৰে আগতে তাইৰ গালত এটা চুমা আঁকি দিছিল। ক'তা, তেতিয়াতো তাৰ একো অস্বস্তি নাছিল। তেন্তে আজি কিয়? এতিয়াতো কোনোৱে নাই। কালৈ লাজ কৰিছে সিহঁতে, কাক দেখি অস্বস্তি লাগিছে সিহঁতৰ। সকলোৱে জোকাই জোকাই সিহঁতক এটা সম্পৰ্কত বান্ধিতো দিলে। কিন্তু সঁচাকৈ প্ৰেমৰ সম্পৰ্কত বান্ধ খাইছিল জানো অভিমন্যু আৰু সন্ধ্যা? অকল সন্ধ্যাই নহয়, একেখিনি অস্বস্তিত অভিমন্যু নিজেও পৰিছে। যাৰ বাবে সন্ধ্যাৰ লগত বিশেষ মূহুৰ্তটিৰ বাবে সিও নিজকে সাজু কৰিব নোৱাৰিলে। এটা পাপবোধে যেন ৰখাই দিলে তাকো। সন্ধ্যাৰ কাষ চাপি ক'লে সি,

"ব'ল, যাওঁ।"

মুখেৰে একো নামাতি সন্ধ্যা তাৰ লগতে উলটি আহিল। এতিয়া ফিল্ডলৈ যোৱাৰ ইচ্ছা একেবাৰেই নাই। সেইবাবেই তাই ক'লে,

"মই হোষ্টেল যাওঁ।"

অভিমন্যুয়েও জোৰ নকৰিলে। সন্ধ্যা সোৱণশিৰী পালেগৈ। সেইবাৰলৈ Techxetra তাতেই শেষ হ'ল। মাত্ৰ ৰৈ গ'ল এগাল মান উত্তৰ নোহোৱা প্ৰশ্ন অভিমন্যু আৰু সন্ধ্যাৰ মনত।

Kaushik

লাহে লাহে বাগৰিছিল সময়বোৰ। থাৰ্ড ছেমিষ্টাৰৰ ফাইনেল পৰীক্ষা শেষ হৈছিল সন্ধ্যাহঁতৰ। অভিমন্যু শেষ হোৱাৰ দিনাই ঘৰ গ'ল। সন্ধ্যাও গ'লহেঁতেন। কিন্তু পথীৰ কাৰণে ৰৈ দিলে। পথীৰ পিছদিনাহে শেষ। একে ঠাইৰে যেতিয়া দুইজনী একেলগেই যাব। সেইবাবে সন্ধ্যা এদিন ৰ'ব লগা হ'ল। এবাৰ তাই অভিমন্যুকো কৈ চাইছিল,

"এমাহ বন্ধ পাবিয়েই, আজিয়েই কিয় যাব লাগে নো?"

"নাই অ'। বহুত দিন যোৱা নাই ঘৰ। যাওঁ আৰু।"

বুলি আঁতৰি গৈছিল সি। তাই আকৌ কৈ চাইছিল,

"এদিন থাকিলে নো কি হয়?"

অভিমন্যুয়ে বিৰক্তিৰে কৈছিল,

"এইচব এক্টিং কৰি নাথাক দেই। ফোন কৰি থাকিমতো।"

এৰা, সি নিজে কৰাবোৰ অভিমান আৰু তাইৰ খিনি অভিনয়। ইয়াকেই কয় নে প্ৰেম বুলি? সন্ধ্যাই দুনাই একো নক'লে। যোৱাৰ পৰত তাইক সাৰটি ধৰি "ভালকৈ থাকিবি" বুলি কৈছিল সি। মূৰ দুপিয়াই সন্ধ্যা উভতি আহিছিল।

প্ৰিয়া, জুৰিহঁতো আজিয়ে গ'ল। পথীৰো কাইলৈ পৰীক্ষা। সন্ধিয়া সময় খিনিত কোনো লগ নথকাত সন্ধ্যা অকলেই ওলাই আহিল। এবাৰ "মহামায়া" পালেগৈ তাই। সদায় থকাৰ দৰে চন্দ্ৰালীও তাতে আছিল। সন্ধ্যা সোমোৱাৰ লগে লগে বকুল দাই সুৰ লগাই গালে,

"সোমাই আহা আইদেৱে ঐ শচী, সখীক লগত লৈ---"

পিছৰ খিনি চন্দ্ৰালীয়ে ধৰিলে,

"তোমাৰ স্বামী ৰৈ আছে ঐ শচী, সেন্দূৰ দিবলৈ---"

সিহঁতৰ জোকোৱাৰ অৰ্থ বুজিব পাৰি সন্ধ্যা বেচেৰীয়ে লাজতে তলমূৰ কৰাত জোৰকৈ শব্দ কৰি বকুল দা, প্ৰশান্ত দা আৰু চন্দ্ৰালীয়ে হাঁহি উঠিল। শ্বপিং কম্প্লেক্সৰ সন্ধিয়া এইদৰে জাউৰি জাউৰি হাঁহিৰেই মায়াসনা হৈ পৰে। চন্দ্ৰালীয়ে সন্ধ্যাক জোকাই ক'লে,

"আমাৰ মাইনাজনীক নেদেখাই হ'লো দেই।"

Kaushik

তাইৰ হাঁহিটো থুঁতৰিৰ তিলটোৱে বৰ মৰমলগা কৰি তোলে। সন্ধ্যাই তিলটোতে মিহিকৈ চিকুট এটা মাৰি ক'লে,

"ক'তনো নেদেখা হ'লা অ'? আছোঁৱেইতো।"

লগে লগে বকুল দাই গলগলীয়া মাতেৰে ক'লে,

"বাৰু, খবৰ পাইছোঁ মই চব। সেইবোৰ ঠিকে আছে। পিছে পঢ়া শুনাত যদি কিবা খেলি মেলি হয় তেতিয়াহে দিম কিন্তু।"

সন্ধ্যাৰ কিবা এটা ভাল লাগি গ'ল মনটো। ইয়াতো যে তাইক এইদৰে শাসন কৰি ধমকি মাৰিব পৰা কোনোবা আছে সেইটোৱেই যথেষ্ট। অলপ সময় কথা পাতি তাৰ পৰা ওলাই আহিছিল সন্ধ্যা।

কাঞ্চনজংঘাৰ সমুখৰ পুলটো। গোটেই ইউনিভাৰ্চিটীখনৰ ভিতৰত কিয় জানো এই ঠাইটুকুৰা কিবা এটা অসম্ভৱ ভাল লাগে সন্ধ্যাৰ। বিশেষকৈ কাষতে থকা কাঞ্চন আৰু নাহৰজোপাৰ পৰা যে বতাহত দুই এটি সৰাপাত সৰে সেইটোৱে যেন ঠাই টুকুৰাত আৰু মায়া সানিছে। কিছু সময় সন্ধ্যা তাতেই বহি আছিল। কাঞ্চনৰ ফুল এপাহ পুলটোৰ পৰাই দেখিছিল তাই। গোলপীয়া ফুলপাহ তলৰ পৰা চাইয়ে বৰ ধুনীয়া লাগিছিল। এপাহ চিঙো ৰ বুলি পুলটোৰ ওপৰত উঠি হাকুটিয়াবলৈ লাগিল তাই। কিন্তু নাই, সন্ধ্যাই ঢুকি পোৱাতকৈ অলপ ওপৰত আছিল ফুলপাহ। তেও তাই চেষ্টা এৰি দিয়া নাই। তাৰ মাজতে হঠাৎ কোনোবাই মাত দিলে,

"ঐ টিকলি, কি কৰি আছা?"

ঘূৰি চাই দেখে চাইকেলত সেইটো অনুৰণ। সন্ধ্যা পুলটোৰ পৰা নামি তাৰ ওচৰলৈ আহি ক'লে,

"কি হ'ল? কাক টিকলি কৈছা?"

"এই কাঞ্চন জোপাক। চোৱা না ইমান চাপৰ। মানুহে হাত মেলিলেই ঢুকি পাব।"

"তোমাক যে নহয়" বুলি লাহেকৈ অনুৰণৰ বাহুত দুই এচাট দিলে সন্ধ্যাই।

"আৰে আৰে, বাহুটো ফাটি যাব অ' মোৰ এতিয়া।"

Kaushik

তাৰ কথাত হাঁহি উঠিল সন্ধ্যাৰ। চুলিখিনি কাণৰ কাষলৈ ঠেলি তাই সুধিলে,

"ঘৰ নগ'লা যে আজি?"

"কাইলৈ হে নাইট চুপাৰ।"

"আটছা।"

"পিছে তুমি কি কৰি আছা ইয়াত?"

অনুৰণৰ কথাত সন্ধ্যাই ফুল পাহলৈ আঙুলিয়াই দেখুৱালে,

"চোৱা না ফুলপাহ। ইমান ধুনীয়া। চিঙিব লৈছিলোঁ। ঢুকিয়ে নাপালোঁ।"

অনুৰণে ফুল পাহলৈ চাইছিল। সন্ধ্যাই আকৌ ক'লে,

"অনুৰণ, তুমি চিঙি দিয়া না প্লিজ।"

"নালাগে চোন চিঙিব। ইমান ধুনীয়াকৈ ফুলি আছে।" সি ক'লে।

"মই কাঞ্চন ফুল বহুত ভাল পাওঁ অ', সেই কাৰণেহে চিঙো কিবা। ৰুমত সজাই থ'ম।"

সন্ধ্যাৰ কথাত অনুৰণে শান্ত মাতেৰে ক'লে,

"ভালপোৱা বস্তুবোৰ কেতিয়াও জোৰেৰে অনা নাযায় সন্ধ্যা। ভালপোৱা বোৰ সদায় আঁতৰৰ পৰা চাইয়ে ভাল লাগে। যেনেকৈ আছে, তেনেকৈ থাকিবলৈ দিব লাগে। আজুৰি আনি লগত ৰাখিব বিচাৰিলে ভালপোৱাবোৰ মৰহি যায়।"

সন্ধ্যাই আচৰিত হৈ অনুৰণলৈ চাইছিল। আজিলৈকে কাৰো প্ৰেমত নাই পৰা বুলি কোৱা এই অনুৰণে কেনেকৈ দিব পাৰে ভালপোৱাৰ এনে সেউজীয়া সংজ্ঞা! সন্ধ্যাই নিজেও কেতিয়াও এইদৰে ভবা নাছিল। সৰু মাতেৰে ক'লে,

"ৰণ, তুমি---"

অনুৰণেও তাইলৈ চাই ক'লে,

"কোনোবা চিনেমাত পাইছিলোঁ হ'বলা।"

"ধেৎ, যাহ মিছলীয়া।" সন্ধ্যাই হাঁহিৰে ক'লে।

Kaushik

"বিশ্বাস হোৱা নাই ন মই কোৱা বুলি?"

"একদম নাই হোৱা।" সন্ধ্যাই মূৰ জোকাৰি ক'লে।

অনুৰণে হাঁহিলে। চাইকেল থন ৰখাই পুলটোত উঠিলে সি, "ৰ'বা, চিঙিছোঁ।"

সন্ধ্যাই চিঞৰি উঠিল, "নালাগে ৰ'বা।"

অনুৰণ নামি অহাত সন্ধ্যাই ক'লে,

"ভালপোৱাবোৰ আঁতৰৰ পৰাই চাম। আজুৰি আনি মৰহিবলৈ নিদিওঁ।"

অনুৰণে চেলাউৰি ডাল উঠাই বিশেষ ভংগীমাৰে কৈছিল,

"ৱাহ, বৰ সোনকালে বুজিলা দেখোন।"

"তুমি বুজাইছা যে, নুবুজিম নে?"

আকৌ দুইটাৰে হাঁহি। সময়ো হৈছিল। কুঁৱলীৰ বগা জাল ফালি দুয়ো তাৰ পৰা সোৱণশিৰীৰ ফালে আগবাঢ়িছিল। অনুৰণে "এইফালে আহা" বুলি সন্ধ্যাক বাওঁফালে দি সি তাইৰ সোঁফালে গৈ ৰৈছিল। চাইকেলখন ঠেলি ঠেলি সন্ধ্যাৰ খোজত খোজ মিলাই আগবাঢ়িছিল সি সোৱণশিৰীৰ ফালে।

Kaushik

সোৱণশিৰী পাই দুয়ো ৰ'ল। অনুৰণেই ক'লে,

"কাইলৈতো যাবাগৈ?"

"উম, যাম।"

"গৈ পাই----"

অনুৰণৰ কথাটো কৈ নহওঁতেই সন্ধ্যাৰ ফোনটো বাজিল। চাওঁতে দেখে অভিমন্যুয়ে কৰিছে।

"অভিৰ ফোন।" সন্ধ্যাই ক'লে।

"যোৱা। ভিতৰত গৈ কথা পাতা।" অনুৰণ উভতিবলৈ ল'লে।

"ৰণ--"

অনুৰণ ৰৈ গৈছিল সন্ধ্যাৰ মাতত। মাত্ৰ কিয় জানো ঘূৰি চোৱা নাছিল। সন্ধ্যাই পিছফালৰ পৰাই ক'লে,

"গৈ পাই ফোন কৰিম।"

অনুৰণৰ মুখেৰে নিগৰিছিল মৃদু হাঁহি এটা। চকু দুটা মুদি দিছিল সি। "অঁ অভি, ক" বুলি ফোনটো কাণত লৈ সন্ধ্যা ভিতৰলৈ গৈছিল গৈ। অনুৰণে চাই ৰৈছিল সদায়ৰ দৰে। কুঁৱলীৰ চাদৰখন ক্ৰমান্বয়ে ডাঠ হৈ আহিছিল। চকুৰে নমনা হৈছিল বস্তুবোৰ। কাৰোবাৰ ৰুমত বাজি আছিল পাপন দাৰ গান এটা,

"নিজানৰ কোনোবা দলঙেৰে তুমি নামি আহিছিলা

কুঁৱলীৰে চেঁচা টোপালে সেমেকালে ভালপোৱা

উমি উমি জ্বলি উঠে বেদনাৰ জুই

ভাঙি দিলা মনৰে দাপোণ বিষণ্ণতা

ভাল পাব নিশিকিলোঁ......"

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 81

"ইচ ৰাম, কি ধূলি ঔ"

প্ৰায় ডেৰ মাহৰ মূৰত হোষ্টেলৰ ৰুমটোত সোমাই মুখত সোপা দি পখীয়ে ক'লে। সময়ৰ সোঁতত সন্ধ্যাহঁতৰ ফৰ্থ ছেমিষ্টাৰ পালেহি। এতিয়াও এনে লাগে যেন সৌ সিদিনাহে আৰম্ভ হৈছিল সকলো। যাওঁতে একেলগে যোৱাৰ দৰে এইবাৰ সন্ধ্যাহঁতৰ গাড়ীতে পখীও আহিল। ৰুমত সোমাই অৱস্থা দেখিয়ে দুইজনী সাজু হৈছিল চাফা কৰিবলৈ। প্ৰায় এঘন্টা মানৰ পাছত ৰুম চাফা কৰি সাৰি মচি বস্তুবোৰ ৱাৰ্ড্ৰৱত ভৰাই গা পা ধুই আজৰি হ'ল সিহঁত। প্ৰতিটো ছেমিষ্টাৰৰ আৰম্ভণিত এইটোৱে নিয়ম।

ভাগৰত বিচনাত পৰোঁতেই সন্ধ্যাৰ ফোন বাজিল। অভিমন্যুয়ে কৰিছে। সিও আজিয়ে অহাৰ কথা। পালেহি চাগে। প্ৰায় এমাহ আঁতৰি আছোঁ বুলি সি কৈয়ে আছিল,

"গৈ পাই প্ৰথম তোকেই লগ পাওঁ যাতে"

হাঁহিৰে ফোনটো উঠালে সন্ধ্যাই। অভিমন্যুয়ে ক'লে,

"সোনকালে essentialৰ ফালে আহ না।"

"কিয়?"

"আহ না অ', মই ৰৈ আছোঁ।"

কথাটো কৈয়ে ফোন কাটিলে সি। এই যে ল'ৰাটো মানে। লাগ বুলি ক'লে লাগিবই মানে। পিঙ্কি থকা চুৰিদাৰ যোৰে বগা দোপাত্তাখন গাতে মেৰিয়াই সন্ধ্যা হোষ্টেলৰ পৰা নামি গ'ল। Essentialৰ ওচৰতে গাড়ী এখন ৰৈ আছিল। সন্ধ্যাক দেখি অভিমন্যু গাড়ীৰ পৰা ওচৰ চাপি আহিল,

"তোক কোনোবাই লগ পাব আহিছে।"

"কোনে?" কিয় জানো সন্ধ্যাৰ ভয় লাগিল। ই কেনেবাকৈ ঘৰৰ কাৰোবাক লৈ অনা নাইতো? সন্ধ্যাৰ সন্দেহেই সঁচা আছিল। গাড়ীৰ পৰা নামি আহিছিল অভিমন্যুৰ আইতাক। বয়স হয়তো আশীৰ উৰ্ধৰ। খোজ থৰক বৰক যদিও ক'তো সহায় নোলোৱাকৈ নিজে খোজ কাঢ়িছে। মুখৰ সোঁতোৰা দাগবোৰে বয়সৰ কথাই সোঁৰৰাইছে যদিও উজ্জ্বলতা যেন এতিয়াও একেই আছে। শুধ বগা সাজৰ পকাচুলিয়া আইতা গৰাকীয়ে এখোজ দুখোজকৈ আহি সন্ধ্যাৰ সমুখ পালেহি।

"এয়া মোৰ আইতা।"

অভিমন্যুয়ে কওঁতে সন্ধ্যাই চাপৰি আইতা গৰাকীৰ ভৰি চুই সেঁৱা কৰিলে। তাইৰ মূৰত মৰমেৰে হাত ফুৰাই আইতাকে ক'লে,

"বৰ মৰমলগা ছোৱালী।"

সন্ধ্যাই লাজত তলমূৰ কৰিলে। অভিমন্যুয়ে এইবাৰ আইতাকক ক'লে,

"এতিয়া দেখিলি নহয়। আৰু জোকাই নাথাকিবি মোক ঘৰত।"

সন্ধ্যাই প্ৰশ্নবোধক চাঁৱনিৰে চোৱাত আইতাই হাঁহি হাঁহি ক'লে,

"মইয়ে ইয়াক জোৰ কৰিছিলোঁ বুইছা বোলো তোৰ বিয়া খাবলৈ পাওঁনে নাই কি ঠিক ছোৱালীজনী দেখুৱাই থ'বি।"

Kaushik

সন্ধ্যাই লাজ লাজকৈ হাঁহিলে। আইতাই তাইৰ কোমল হাতটো তেওঁৰ সোঁতোৰা পৰা হাতেৰে সাৰটি ধৰি ক'লে,

"মাজনী, ই ল'ৰাটো অলপ অভং। বেছি গালি চালি পাৰিলে মোক কৈ দিবা।"

"ঠিক আছে আইতা।" সন্ধ্যাই হাঁহি মাৰি অভিমন্যুলৈ চালে।

"হ'ব ব'ল। মাহঁত হোষ্টেলত ৰুম চাফা কৰি আছে। ইয়াত ছোৱালী লগ কৰি আছোঁ বুলি গম পালে দিব।"

অভিমন্যুৰ কথাত সন্ধ্যাক কঁপালতে চুমা এটা খাই "এদিন আমাৰ ঘৰলৈ আহিবা" বুলি কৈ আইতা গাড়ীত উঠিল। সন্ধ্যাই হাত জোকাৰিলে। অভিমন্যুয়ে গাড়ীখন চলাই পাটকাইৰ ফালে নিছিলগৈ। মনত অলপ সজীৱতা আৰু ওঁঠত অলপ হাঁহি লৈ সন্ধ্যা ৰুম পালেহি। সঁচাই প্ৰিয়জনে যেতিয়া নিজৰ ঘৰৰ মানুহক লগ কৰাই এজনী ছোৱালীৰ বাবে তাতকৈ সুখৰ মূহুৰ্ত আন একো হ'ব নোৱাৰে। সন্ধ্যাই আশা কৰিছে অভিমন্যুৰ ব্যৱহাৰবোৰ আগতকৈ সলনি হ'ব। আগৰ দৰেই তাইৰ অভিমানবোৰ ভাঙিব। কিন্তু সময় বৰ নিষ্ঠুৰ। মানুহৰ আৱেগ অনুভূতিলৈ ই ভ্ৰুক্ষেপ নকৰে। সময়ৰ কোলাত নিয়ঁতিৰ কুটিল মায়াজাল না অভিমন্যুয়ে জানিছিল না সন্ধ্যাই বুজিছিল।

জুপিতৰা মেমৰ জন্মদিন আছিল ২৬ জানুৱাৰীত। যোৱা বছৰো জুৰি আৰু প্ৰীতিষাহঁতে জন্মদিন পাতিছিল কেক আনি। ময়ূঁৰো আছিল। কিন্তু কিবা কাৰণত ঘৰলৈ যাব লগা হোৱা বাবে সন্ধ্যা আহিব নোৱাৰিলে। সেইবাবে এইবাৰ তাইয়ে আগভাগ লৈছিল মেমৰ জন্মদিনৰ আয়োজনৰ। এই অচিন চহৰখনত প্ৰথমৰে পৰাই সিহঁতক মৰমেৰে আৱৰি ৰখা মেমগৰাকীৰ বিশেষ দিনটো আৰু বিশেষ কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰে সন্ধ্যাহঁতে। প্ৰীতিষাৰ লগতে আগতেই গৈ কেক অৰ্ডাৰ দি আহিছিল সন্ধ্যাই। লগতে মেমৰ সৰু ছোৱালীজনী লৈও চকলেট ল'লে। সকলো লৈ ময়ূঁৰ, প্ৰীতিষা, সন্ধ্যা আৰু জুৰি আবেলি মেমৰ ঘৰ ওলালগৈ। মেমেও জানে যে সিহঁত আহিব। সেইবাবেই সিহঁতলৈ বিধে বিধে মিঠাই, বিবিধ ৰঞ্জন সাজু কৰি ৰাখিছিল।

"তোমালোক গুছি যোৱাৰ পাছত যে মোৰ সঁচাকৈ বেয়া লাগিব পাই।" বুলি মেমে কেকটো কাটিছিল। মেমৰ সৰু ছোৱালীজনী আহি সন্ধ্যাৰ কোলাত উঠিছিলহি। সৰু ল'ৰা ছোৱালী বুলিলে পাগল সন্ধ্যাইও তাইক খুব মৰম কৰে। ৰুমটোৰ এচুকত মনে

Kaushik

মনে বহি থকা ময়ূঁৰকো তাই নানান টা কথা সুধি ব্যস্ত কৰি তোলে। কেক কটাৰ পাছত মেমৰ ঘৰতেই ৰাতিৰ সাজ খোৱাই পঠাইছিল সিহঁতক। মেমৰ হাতৰ মাংস পোলাও খাই সন্ধ্যাহঁতৰ ঘৰলৈ মনত পৰি গৈছিল। তেজপুৰ ইউনিভাৰ্চিটীয়ে দিয়া এই আদৰখিনিয়েই গোটেই জীৱনটোৰ বাবে সেউজীয়া হৈ ৰ'ব। জুপিতৰা মেমহঁতৰ ঘৰখন সন্ধ্যাহঁতৰ বাবে চিনাকি ঘৰৰ দৰে হৈছিল। যেন ব্যস্ততাৰ মাজত অকণমান নিজৰ ঘৰখনত এখন্তেক জিৰণিহে লয়। মেমেও সিহঁত আহিলে খুব আলহ উলহেৰে খোৱাই পঠাই। মেমৰ জন্মদিনেৰেই আৰম্ভ হৈছিল ছেমিষ্টাৰটো।

কাঞ্চনৰ চহৰত আকৌ ভাৰ্চিটী উইকৰ ভৰপক। চাৰিওফালে যেন যুদ্ধৰ বতাহ হোঁ হোঁৱাই বলিছে। প্ৰিফেক্টবোৰৰ ঘনে ঘনে মিটিং, ষ্টুডেন্ট কাউন্সিলৰ দৌৰা দৌৰি, কালচাৰেল কনভেনৰ বোৰৰ উশাহ নোলোৱা ব্যস্ততা। সন্ধিয়াবোৰে আকৌ জী উঠিছে "এক দৌ এক" ধ্বনিত।

Kaushik

পিছে আমাৰ পথীৰ জেংটো তাতেই লাগিল। তাই কোনোপধ্যে মাৰ্চ পাষ্ট নকৰে। সন্ধ্যাৰ আগত থেন থেন কৰিলেই,

"না না না। মই গোটেই সন্ধিয়া ভাল এক দৌ এক চিঞৰি চিঞৰি ঘূৰি ফুৰিব নোৱাৰোঁ।"

"হাৰে, তই চিঞৰিব নালাগে নহয়। শিকোৱা বোৰে হে চিঞৰিব। তই অকল---"

নাই, পথীয়ে সন্ধ্যাৰ কথাই নুশুনে,

"মুঠতে এই ভৰি দাঙি দাঙি জঁপিয়াই ফুৰিব নোৱাৰোঁ মই। তই মেনেজ কৰ কিবা।"

বিচনাত পৰি কম্বলখন গায়ে মূৰে ল'লে তাই। ইফালে তলত ফাৰ্ষ্ট ইয়েৰৰ ছোৱালী বিচাৰি announcement কৰিয়ে আছে। সন্ধ্যাই পথীক আকৌ হেঁচুকে,

"উঠচোন। এবাৰ গৈ চাচোন। ভাল লাগিব তোৰ। মই প্ৰিফেক্ট নেকি কিবা মেনেজ কৰিবলে।"

"নোৱাৰোঁ। নাযাওঁ মই।"

"ঠিক আছে। ৰহ, মই তহঁতৰ বৰমালে ফোন কৰোঁ। ৰাতি এঘাৰটা বজাত যে গেট পাৰ হৈছিলি কৈ আছোঁ। অকল উৎপাত খালী।"

সন্ধ্যা ভোৰভোৰাই আঁতৰি আহিল। মাকৰ নাম শুনি পখী একে জাঁপে উঠিল,

"যাম ঔ যাম। সেইটোকে ক'ব নালাগে ঘৰত।"

লগে লগে কাপোৰ সলাই মুখেৰে ভোৰভোৰাই তললৈ যাবলৈ সাজু হৈছিল পখী,

"এইখনলৈ চালা কেলে আহিলো জানো। এইটো নকৰিবি, সেইটো নকৰিবি। ইফালে নাযাবি, সিফালে নাযাবি এইসোপাতো আছেই, এতিয়া আকৌ পেৰেড়ো কৰ।"

তাইৰ কথাৰ ভাঁজ দেখি ওলাই আহিবলৈ লোৱা হাঁহিটো জোৰকৈ ৰখাইছিল সন্ধ্যাই। পখীয়ে দুৱাৰ মুখত গৈ আকৌ শেষ বাৰৰ বাবে সন্ধ্যাক সৰু মাতেৰে সুধিলে,

"নগ'লে নহ'ব ন?"

মুখখন খং উঠা ভাৱটো আনি সন্ধ্যাই ক'লে,

"ৰহ, ফোন কৰোঁ ৰহ।"

"যাওঁ অ' যাওঁ। এইজনী চালা।" বুলি দপদপাই ৰুমৰ পৰা তললৈ নামি গ'ল পখী। বেচেৰীৰ অৱস্থা দেখি হাঁহি হাঁহি বিচনাত বাগৰিল সন্ধ্যা।

Kausnik

এইবাৰ সন্ধ্যাহঁতৰ সোৱণশিৰীৰ পেয়াৰিং হৈছিল শৰাইঘাটৰ লগত। শৰাইঘাট ছাত্ৰাৱাস। ইউনিভাৰ্চিটীৰ প্ৰতিজন ল'ৰাৰ এক সপোন এইখন হোষ্টেলৰ আৱাসী হোৱা। এই হোষ্টেলখন সাধাৰণতে গৱেষক ছাত্ৰসকলৰ যদিও মাষ্টাৰ্চৰ ফাৰ্ষ্ট ইয়েৰত ৰিজাল্ট ভাল কৰা প্ৰতিটো ডিপাৰ্টমেন্টৰ শীৰ্ষত থকা ছাত্ৰ সকলক ইয়ালৈ পঠায়। শৰাইঘাট ছিংগল ৰুমৰ হোষ্টেল। প্ৰতিটো ৰুমৰ সৈতে একলগ হৈ থকা বেলকণিৰে আটক ধুনীয়া হোষ্টেলটোৰ আৱাসী হ'বলৈ যেন সকলোৰে এখন অঘোষিত প্ৰতিযোগিতাও হয়। ছোৱালীৰ বাবেও একেটা নিয়মেই প্ৰযোজ্য। শীৰ্ষত থকা ছাত্ৰী সকলক পবিতৰা হোষ্টেললৈ পঠিয়াই। কিন্তু ছিট কম বাবে সকলো ডিপাৰ্টমেন্টৰ ছোৱালীয়ে এই সুবিধা নাপাই যদিও ল'ৰা কিন্তু প্ৰতিটো ডিপাৰ্টমেন্টৰেই এই সুযোগ লাভ কৰে। সেই শৰাইঘাটৰ লগতে এইবাৰ সন্ধ্যাহঁতৰ জোঁটবন্ধন।

লিষ্ট ওলোৱাৰ পৰাই মিটিংবোৰ আৰম্ভ হৈছেই। বিদিশা বাহঁতে ফোনতে ডাঁৰৰ বাতৰি ডাঁৰে লৈ আছে। সময় অনুযায়ী প্ৰিফেক্ট ভাস্বতীহঁতক দিহা পৰামৰ্শও দিছে। বিদিশাৰ লগতে ৰীণাও আহিব চাগে এইবাৰ ভাৰ্চিটী উইকত। এই লৈ সন্ধ্যাৰো গা সাতখন

আঠখন। লগতে গোটেই সোৱণশিৰীয়ে কৈ আছে, এইবাৰো যেন তাই শ্ৰেষ্ঠ বিহুৱতী হয়। কপিলীৰ মেঘালীহঁতে কৈয়ে দিলে সিদিনা,

"সন্ধ্যা থাকিলে আৰু আমি নাচি কি লাভ?"

সন্ধ্যাৰ বিহুৱতী হোৱাৰ হাবিয়াস নাছিল এইবাৰ। কিন্তু আকৌ যে ৰাতি ৰাতি ঢোলৰ মাতত ৰাতিবোৰে সাৰ পাব, আকৌ বিহুগীত সুৰেৰে অবতৰত বহাগ নামিব, আকৌ হেঁপাহ পলুৱাই নাচিব পাৰিব সেই লৈ হে ভিতৰি ভিতৰি ৰোমাঞ্চিত হৈছিল। সিদিনা তাই আৰু কংকনাই মিলি হোষ্টেলত নতুনকৈ অহা ছোৱালী কেইজনীৰ অডিচনো ল'লে। শৰাইঘাটৰ পৱনদাহঁতে আজি আবেলি মাতিছেই। সন্ধ্যাই ছোৱালী কেইজনীক ওলাবলৈ কৈ থৈছে সোনকালে। সিহঁত তলত ৰৈছেগৈ। সন্ধ্যা যাবলৈ সাজু হৈছিল। তেনেতে অভিমন্যুয়ে ফোন কৰিলে। সন্ধ্যাই সপোনতো ভাবিব নোৱাৰা কথা এষাৰ কৈ দিলে সি,

"এইবাৰ তই বিহু নাচিব নালাগে।"

মূৰত সৰগ ভাগিছিল যেন সন্ধ্যাৰ। কি হৈছে ইয়াৰ? কেনেকৈ ক'ব পাৰিছে তাইক এইষাৰ কথা? নিজেওতো সি নাটকৰ লগত জড়িত। তেন্তে? তাই কৈছিল,

"তোৰ হৈছে কি হা? হোষ্টেলৰ পৰা এইবাৰো চবেই আশা কৰি আছে। তইওতো নাটক--"

তাইক ক'বলৈ নিদি অভিমন্যুয়ে ক'লে,

"মইও নকৰোঁ নাটক। ডিৰেকচন হে দিম। তই থকাৰ অৱস্থাত যিদৰে বেলেগে ছোৱালীৰ হাতত, কঁকালত ধৰি মই নাটক নকৰোঁ। তইও কোনো ল'ৰাৰ চকুলৈ চাই বিহু নাচিব নালাগে। এনেই কেতিয়াবা এবাৰ গৈ শিকাইছ বেলেগ কথা।"

কথাটো কৈয়ে ফোনটো কাটিলে সি। সন্ধ্যা বহি গৈছিল বিচনাতে।

"সন্ধ্যা বা, আহা আকৌ। চব ৰৈ আছে তোমালৈ।"

জুনিয়ৰ সংগীতা বোলা ছোৱালীজনীয়ে মাতিলেহি।

"তোমালোক আগবাঢ়া চোন। মই গৈ আছোঁ।" বুলি সন্ধ্যাই পঠাই দিলে তাইক।

বহু সময় বিচনাতে ৰ'ল সন্ধ্যা। পখিলাৰ দৰে উৰি ফুৰা সন্ধ্যাৰ আজি প্ৰথমবাৰৰ বাবে অনুভৱ হৈছে যেন তাই সঁজাত বন্দী হৈছে। কেতিয়াও মাক দেউতাকৰ পৰা

Kaushik

ককাক আইতাকলৈকে কোনেও তাইক নাচৰ ক্ষেত্ৰতে হওঁক নাইবা আন কোনো ক্ষেত্ৰতে হওঁক বাধা দি পোৱা নাই। কাৰণ সন্ধ্যাই সীমা ৰাখিব জানে সকলোতে। কিন্তু তাইৰ প্ৰতি এইকণ বিশ্বাস অভিয়ে কিয় ৰাখিব নোৱাৰিলে? দুখত কান্দোন খিনি চেঁপা মাতেৰে ওলাই আহিছিল তাইৰ। নাই, এই কথাই নহয়। সন্ধ্যাই তাক বুজাব। সিও বুজিব লাগিব। তাইক বিশ্বাস কৰিব লাগিব। সন্ধ্যাই আকৌ ফোন লগালে,

"অভি, তোক এবাৰ লগ কৰিব লাগিছিল। এতিয়াই।"

তাইৰ কথাত গুৰুত্ব দিয়াৰ সলনি সি ক'লে,

"এতিয়া নোৱাৰিম। নাটকৰ পাণ্ডুলিপি নিবলৈ আহিলোঁ। অলপ পাছত লগ কৰিম ৰহ।"

ফোনটো কাটি দিলে সি। সন্ধ্যা ৰুমৰ পৰা ওলাই গ'ল। শৰাইঘাটলৈ নগৈ তাই কাঞ্চনজংঘাৰ পুলটোতে বহিল গৈ। চকু দুটা মুদি দিছিল। ফেৰফেৰীয়া বতাহ জাক যেন সন্ধ্যাক নিচুকাবলৈকে বলিছিল। কি হৈছে বাৰু তাইৰ জীৱনটোত। সকলোৱে জোকাইছিল অভিমন্যুৰ লগত। তাইৰো ভাল লাগিছিল। আৰু তাৰো। সিহঁত সম্পৰ্কত আহিল। তাৰ পাছতে যেন চব শেষ। ক'ৰবাত হেৰাই গ'ল সিহঁতৰ মৰমৰ অভিমানবোৰ, সৰু সৰু কাজিয়াবোৰ। তাৰ সলনি ঠাই ল'লে সন্দেহ, জেদ আৰু ভুল বুজাবুজিয়ে। প্ৰেম জানো এনেকুৱা? কিমান সময় পাৰ হৈছিল সন্ধ্যাইও সঠিককৈ নাজানে। দুই এবাৰ শৰাইঘাটৰ পৰা পৱন দাই ফোন কৰিলে। তাই ৰিচিভ কৰা নাছিল। এবাৰত তাই আকৌ অভিমন্যুলৈ ফোন লগালে। ফোনটো ধৰিয়ে ক'লে সি,

"ঐ, একদম ছৰী। মই আকৌ কাম এটাত ব্যস্ত হ'ব লগা হ'ল। আজি নোৱাৰিমেই চাগে লগ কৰিব। কাইলৈ ডিপাৰ্টমেণ্টতে লগ কৰিম দে।"

অভিমন্যুয়ে কোনো খং নাইবা অৱজ্ঞাত কোৱা নাছিল যদিও সন্ধ্যাই খুব কষ্ট পাইছিল। হয়, ভাৰ্চিটী উইকৰ কেইদিনৰ ব্যস্ততা তাইও জানে। কিন্তু তাই নিজেও জানো চব কাম বাদ দি তাৰ বাবে ইয়াত বৈ থকাহি নাই। হয়, অভিমন্যুৰ মাতটোত খং নাছিল। কিন্তু সন্ধ্যাই আশা কৰা সঁহাৰিও নাছিল। প্ৰেমত মানুহে জোন বেলি তৰাও আনি দিবলৈ সাজু হয়। কিন্তু কোনে বুজিব, আচলতে এটি মিঠা সঁহাৰিয়ে যথেষ্ট। হুঁমুনিয়াহবোৰ উচুপনিলৈ সলনি হৈছিল সন্ধ্যাৰ।

Kaushik

ৰাস্তাটোৰ সিটো পাৰে সন্ধ্যা বহি থকা এই পুলটোৰ মুখামুখিকৈ আৰু এটা পুল আছে। কিন্তু কাষৰ গছবোৰৰ ছাঁ পৰি থকাৰ বাবে ঠাইখিনি এন্ধাৰ। কোন বহি আছে ধৰিব নোৱাৰি। অথনিৰে পৰা তাত বহি সন্ধ্যাক চাই থকা ময়ূঁৰ এইবাৰ আহি তাইৰ কাষত বহিলহি। ৰাস্তাৰ ফালে পিঠি দি ফিল্ডলৈ চাই নিজৰ ভাৱতে তন্ময় হৈ থকা সন্ধ্যাই মনেই কৰা নাছিল তাক। ময়ূঁৰে তাইলৈ চাই ক'লে,

"আচৰিত ন জীৱনটো, সময়ে আনি দিয়া সম্পৰ্কবোৰকেই এদিন আমি সময় দিব নোৱাৰা হওঁ।"

সন্ধ্যাই তেতিয়াহে কাষলৈ চাই ময়ূঁৰক দেখিলে,

"তুমি?"

"বিহু প্ৰেকটিচলৈ যোৱা নাই?"

ময়ূঁৰৰ প্ৰশ্নত উত্তৰ নিদি তলমূৰ কৰিলে সন্ধ্যাই। সি আকৌ সুধিলে,

"অভিয়ে মানা কৰিছে?"

সন্ধ্যা এইবাৰো নিশ্চুপ। লাইটৰ পোহৰত জিলিকি উঠিছিল তাইৰ চকুৰ পাহিত জমা হোৱা টোপালকেইটা। ময়ূঁৰে ফিল্ডলৈ চাই নিজক কোৱাৰ দৰেই ক'লে,

"প্ৰেমে কেতিয়াও এজন মানুহৰ সাধনাত বাধা নিদিয়ে। যদি দিয়ে তেন্তে সেয়া প্ৰেমেই নহয়।"

সন্ধ্যাৰ বুকুখন কঁপি উঠিছিল ময়ূঁৰৰ কথাত। কি কৈছে ময়ূঁৰে? সেয়া প্ৰেম নহয়? তেন্তে কি? চবেই যে তাইক আৰু অভিক জোকাইছিল, সেয়া কি? সিহঁত যে যোৱা ছমাহ ধৰি এটা সম্পৰ্কত বান্ধ খাই আছে, সেয়া কি? নাই, তাই এইবোৰ শুনিব নোৱাৰে। পুলটোৰ পৰা থিয় হৈ তাই ক'লে,

"মই গৈ থাকোঁ দিয়া ময়ূঁৰ। তুমি বহা।"

যাবলৈ দুখোজ মান দিওঁতে ময়ূঁৰে আকৌ মাতিলে, "সন্ধ্যা"। তাই ৰৈ গ'ল। ময়ূঁৰে ফিল্ডলৈ চাইয়ে ক'লে,

"সম্পৰ্কবোৰক যেতিয়া আমি সময় দিব নোৱাৰা হওঁ, সময়ে নিজেই আমাক সম্পৰ্কবোৰৰ পৰা উলিয়াই দিয়ে।"

Kaushik

একো নোকোৱাকৈ খৰ খোজেৰে আঁতৰি আহিছিল সন্ধ্যা। ৰুমত সোমাই দুৱাৰখন মাৰি দিছিল। ময়ূঁৰৰ কথাবোৰ পাক ঘূৰণি খাই আছিল তাইৰ মূৰত। কিয় শুনিব পৰা নাছিল তাই ময়ূঁৰৰ কথাবোৰ? কেনেবাকৈ বাৰু তাত কিবা সত্যতা আছিল নেকি? নাই, উত্তৰ তাইৰ হাততো নাই। অৱশ্যে কেতিয়াবা এই উত্তৰ নথকা কথাটোৱেও বহু উত্তৰ দি যায়।

সোৱণশিৰীৰ ভিতৰে বাহিৰে গুণগুণনি। ৱাৰ্ডেনৰ ওচৰো পালেগৈ খবৰ।

"সন্ধ্যাই এইবাৰ বিহু নানাচে।"

কংকনা আৰু ভাস্বতী প্ৰথম হুৰমুৰকৈ তাইৰ ৰুম পালেহি,

"কি শুনিছোঁ এইবোৰ সন্ধ্যা?"

শান্ত মাতেৰে সন্ধ্যাই কৈছিল,

"ঠিকেই শুনিছা। কিন্তু চিন্তা কৰিব নালাগে। মই পৱন দাক কৈছোঁ। তেওঁ ঢোলৰ ৰেকৰ্ডিং দিব। মই ইয়াতে যেতিয়াই সময় পাওঁ ছোৱালী কেইজনীক শিকাম।"

সন্ধ্যাৰ কথা মানি লোৱাৰ বাহিৰে কাৰো উপায়ো নাই। বিমৰ্ষ মনেৰে ভাস্বতীহঁত গৈছিলগৈ। কোনো কোনোৱে সন্ধ্যাক মস্কৰাও কৰিছিল,

"যোৱাবাৰ বিহুৱতী হ'ল যে, অহংকাৰে মূৰত ধৰিছে আকৌ।"

"এইবাৰ ইয়াত নহয়, একেবাৰে লতাশিলত হে নাচিব বুইছহঁত।"

সন্ধ্যাই নীৰৱে শুনি গৈছিল সকলো। একো মাত দিয়া নাছিল। তাই কৰিব পৰা খিনি কৰিলে। সেইদিনা অভিক লগ কৰি বুজাইও চালে, সি মান্তি নহয় কেতিয়াও। শেষলৈ কন্দামুৱা হৈ কৈছিল,

"সোৱণশিৰী শৰাইঘাটক হৰোৱাই পাটকাইক জিকাবলৈ মই তোক নাচিব নালাগে বুলি কোৱা নাই সন্ধ্যা। কিন্তু মঞ্চত তই বেলেগৰ লগত নাচি থাকিলে মই কষ্ট পাম।"

আৰু একো নক'লে সন্ধ্যাই। নীৰৱে মানি ল'লে তাৰ কথা। কেতিয়াবা ময়ূঁৰৰ কথাষাৰে আমনি কৰে। কিন্তু ভাৱবোৰ জোকাৰি দিয়ে তাই।

Kaushik

হোষ্টেলতে বিহু নচা ছোৱালী কেইজনীক যিমান পাৰে প্ৰেকটিছ কৰোৱাইছে। কেতিয়াবা ক্লাছ খতিও কৰিছে তাই। এইবোৰ দেখি শুনি ভাস্বতীহঁতেও তাইৰ প্ৰতি ভুল ধাৰণা নোলোৱা হ'ল। সকলোৱে বুজি পাইছিল কিবা বিশেষ কাৰণতহে সন্ধ্যাই এইবাৰ নচা নাই। বিহু নানাচিলেও দিহা নাম, ইণ্ডিয়ান কোৰাচ এইবোৰত আগৰ দৰেই ভাগ লৈছিল। আগৰ বাৰ বিহুৰ বাবে বেছি সময় দিব পৰা নাছিল যদিও এইবাৰ ৰাতি দেৰিলৈকে দিহা নামৰ প্ৰেকটিছ চলাই আছে। ইফালে পথীৰো আচৰিত পৰিৱৰ্তন আহিছে। প্ৰথম দিনা মাকৰ ভয় দেখুৱাই প্ৰেকটিছলৈ পঠোৱা পথী আজিকালি সময়তকৈ আগতেই প্ৰেকটিছ পাইগৈ। প্ৰেকটিছৰ শেষতো তাইৰ চিঞৰটোহে আগত আহে,

"পেপচি কোলা ললিপপ,

সোৱণশিৰী অন দা টপ।"

পথীহঁতৰ কষ্টই এইবাৰ ফল আনিলে। সোৱণশিৰী মাৰ্চ পাষ্টত বিজয়ী হ'ল। প্ৰথম স্থান। পথীয়ে ফিল্ডতে সন্ধ্যাক দাঙি ধৰিছিল ফুৰ্তিতে। সঁচাই দলীয় সফলতাৰ মাদকতাই বেলেগ। একেলগে কৰিলে যে কষ্টকৰ নাইবা আমনিদায়ক কামো আনন্দৰ হৈ পৰে সেই কথা বুজি উঠিছিল পথীয়ে। মাৰ্চ পাষ্টৰ ৰিজাল্ট পাই ফোনতে উচুপি উঠিছিল বিদিশাই।

নাটকত সন্ধ্যাহঁতে নাপালে। কিন্তু পাটকাই আৰু কপিলী প্ৰথম হ'ল। কপিলীৰ পৰীয়ে কেবিআৰতে অভিমন্যুক "আমি জিকিলোঁ" বুলি সাৱটি ধৰিছিল। আঁতৰৰ পৰা চাই থকা সন্ধ্যাৰ খং উঠা মুখখন দেখি সুৰসুৰকৈ তাইৰ কাষত ৰৈছিলহি অভিমন্যু।

বিহুৰ দিনা পুৱাৰে পৰা বুকু কঁপি আছিল সন্ধ্যাৰ। কেনেবাকৈ আজি সিহঁত নিজিকিলে দোষ তাইৰ ওপৰত আহিব নেকি! হোষ্টেলত কোনেও একো নক'লেও তাই নিজক ক্ষমা কৰিব পাৰিব জানো? ভগৱানৰ ওপৰতে সকলো এৰি দি সন্ধ্যাই নিজে সাজু কৰিছিল ছোৱালী কেইজনীক। সকলোৱে কাপোৰ ঠিকমতে পিন্ধিছে নে, গগণাৰ মাত ভালকৈ ওলাবনে, জেতুকা লৈছেনে আদি সকলো বস্তু তন্ন তন্নকৈ চাইছে। ছোৱালী কেইজনীয়েও সন্ধ্যা থাকিলে অলপ সাহস পায়। সিহঁতক সাজু কৰি প্ৰতিজনীকে শুভেচ্ছা দি কমিউনিটী হললৈ পঠালে তাই।

সিহঁত যোৱাৰ পাছত এবাৰ নিজৰ মুগাৰ সাজযোৰ উলিয়ালে সন্ধ্যাই। সাজযোৰ বুকুত সাৱটি লওঁতে চকুপানী ৰখাব পৰা নাছিল তাই। লগতে আছিল যোৱা বছৰ অনুৰণে আনি দিয়া কপৌ পাহ। সঁচাকৈ, যোৱা বছৰৰ এই সময়খিনিত কি কি যে ঘটিছিল। আজিলৈকে নোলাল তাইৰ গগণাটো কোনে ভাঙিলে। অৱশ্যে সেই লৈ তাইৰ একো আক্ষেপো নাই। এনেতে অভিৰ ফোন,

"একেলগে যাম হা বিহুলে। ওলাই থাক।"

সি নোকোৱা হ'লেও তাই তাৰ বাবেই ৰ'ল হয়। সাজযোৰ একে ভাঁজতে আকৌ কাপোৰৰ বেগটোত ভৰাই থৈ সন্ধ্যাই মুখ খন ধুই আহিল। কিছু সময়ৰ পাছত অভিমন্যুৰ লগত কমিউনিটী হল পালেহি।

এই বিহুৰ দিনা কাঞ্চনৰ চহৰত হয় উছৱৰ বতৰ। এইবাৰো তাৰ ব্যতিক্ৰম নহয়। সন্ধ্যাক এইবাৰ চিনাকি যিয়েই দেখিছে সকলোৰে এটাই প্ৰশ্ন,

"তুমি নাই নচা নেকি এইবাৰ?"

"কি হ'ল, তুমি নানাচিলা যে?"

উত্তৰত মাত্ৰ সেমেকা হাঁহি। সন্ধ্যাই মাজে মাজে ভাৱে তাইৰ উদাস উদাস মুখখনে কঁপাই নোতোলে নে অভিমন্যুৰ বুকু? মন নাযায় নে তাৰ তাইৰ মুখখনত হাঁহিৰ কিৰণ বিলাই দিবলৈ? নাই, সি নিৰ্বিকাৰ।

বিহু আৰম্ভ হৈছিল। প্ৰথম অভিমন্যুহঁতৰ পাটকাইৰে বিহু। যোৱা বাৰৰ দৰে অভিমন্যুয়ে নচাগৈ নাই। সন্ধ্যাৰ ওচৰতে থিয় দি আছে। পাটকাই আৰু কপিলীৰ নিচান উৰি আছে। ইয়াৰ পাছতে সন্ধ্যাহঁতৰ বিহু। পখীহঁত আহি উৎপাত আৰম্ভ কৰিলেই। কিন্তু অভিমন্যুৰ আকৌ ঘোষণা,

"এখোজো লৰচৰ নকৰ যাতে।"

সন্ধ্যাৰ সঁচাই খং উঠিছিল এইবাৰ। তাৰ কথামতে তাই ননচাকৈ আছে। এতিয়া ষ্টেজৰ তলত লগৰ কেইজনীৰ লগত এপাক নাচিবও নোৱাৰে নেকি? তাক হলটোৰ এফালে টানি আনি ক'লে সন্ধ্যাই,

Kaushik

"হৈছে কি তোৰ ক? পথীহঁত হে আছে। চবৰে লগত অলপ ফুৰ্তি কৰিলে কি হয় নো? আগৰ বাৰোতো আমি---"

তাইক শেষ কৰিব নিদি অভিমন্যুয়ে কৈছিল,

"তই গাৰ্ল ফ্ৰেণ্ড হয় মোৰ। মই ইয়াত ৰৈ থাকিম আৰু তই নাচি থাকিবি গৈ। লগৰ চবেই জোকাব মোক। কোনো দৰকাৰ নাই। নাচ যদি মই যাম গে হোষ্টেল।"

আৰু একো নক'লে সন্ধ্যাই। শৰাইঘাট আৰু সোৱণশিৰীৰ বিহু আৰম্ভ হ'ল। ঢোলৰ গুমগুমণিত কঁপি অহা গা টো খুব কষ্টেৰে ৰাখিলে তাই। বিহু বলিয়া এজনী নাচনীৰ বাবে ঢোলৰ মাতত হাত এটা নলৰাকৈও ৰৈ থকাটো কি কষ্টকৰ সেয়া সন্ধ্যাই প্ৰথম বাৰৰ বাবে বুজিছিল। শেষলৈ মাত্ৰ ভৰিৰে মাটিত চপৰিয়াই চপৰিয়াইয়ে বিহুখন চাইছিল তাই। আঙুলি কেইটা কঁপিছিল। কিন্তু উপায় নাই।

এটা এটা প্ৰতিটো দলৰ বিহু শেষ হ'ল। সন্ধ্যাক সোৱণশিৰীত থৈ অভিমন্যু ৰুমলৈ গ'ল। তাইৰ খুব মন গৈছিল ৰিজাল্টটো শুনিবলৈ। কিন্তু অভিমন্যুৰ কথা,

"এনেও গম পাবিয়ে হোষ্টেলত ৰিজাল্ট। ইয়াত কিয় ৰৈ থাকিব লাগে।"

তাৰ কথামতে তাই হোষ্টেল আহিল ঠিকেই। কিন্তু মনটোৱে মনা নাছিল। সেইবাবে কিছু সময়ৰ পাছত তাই অকলেই ওলাই গ'ল। ৰিজাল্ট দিয়া নাই তেতিয়ালৈ। সন্ধ্যা গৈ কাঞ্চনজংঘাৰ পুলটোতে বহিল। ইয়াৰ পৰাই শুনিব ৰিজাল্ট। শুনিয়ে গুছি যাব তাই। ইফালে সিফালে চাইও আছিল কেনেবাকৈ অভিমন্যু ওলাইহি নেকি!

"ঐ, কি কৰিছা অকলে অকলে?"

সন্ধ্যা চঁক খাই উঠিছিল প্ৰথমতে। ঘূৰি চাই অনুৰণক দেখিহে উশাহ ল'লে।

"ৰিজাল্টৰ কাৰণে ৰৈ আছোঁ।"

অনুৰণো তাইৰ কাষতে বহিল। ৰিজাল্ট দিবলৈ অলপ সময় বাকী। সন্ধ্যাই তালৈ চাই ক'লে,

"মোক অভিয়ে নাচিবলৈ নিদিলে।"

অনুৰণে চাইছিল তাইলৈ। কি আছিল তাৰ চাঁৱনিত? খুব যেন অসহায়বোধ। শান্ত মাতেৰে কৈছিল সি,

Kaushik

"একো নাই দিয়া। মঞ্চত নাচিলেহে জানো বিহু নচা হয়। ভালপোৱা কামবোৰত স্বীকৃতি লাগিবই বুলিতো কথা নাই।"

আচৰিত হয় সন্ধ্যা। প্ৰতিটো কথাই ইমান পজিটিভলি কেনেকৈ লয় এই ল'ৰাটোৱে।

"এতিয়া আমি ঘোষণা কৰিবলৈ লৈছোঁ এইবাৰৰ বিহু হুঁচৰি প্ৰতিযোগিতাৰ ফলাফল।"

সন্ধ্যাহঁত সন্তুষ্ট হ'ল। তৃতীয় স্থানত কাঞ্চনজংঘা। দ্বিতীয় স্থানত নীলাচল। সন্ধ্যাই চকু কেইটা মুদি দিছিল। ভয় লাগিছিল। কি বা হয়। ইফালে "NMH rocks" আৰম্ভ হৈছিলেই। তেনেকুৱাতে ঘোষণা হ'ল,

"প্ৰথম স্থান দখল কৰিছে শৰাইঘাট আৰু সোৱণশিৰীয়ে।"

একেচাবে বহাৰ পৰা উঠিল সন্ধ্যা চিঞৰ মাৰি। ফিল্ডত গোটেই সোৱণশিৰী ছোৱালীৰে ভৰ্তি। শ্ৰেষ্ঠ বিহুৱতী সোৱণশিৰীৰ নহ'ল বাৰু। তথাপি আক্ষেপ নাই। পখীহঁতে চিঞৰ বাখৰ কৰি নাচিব লাগিছে ফিল্ডৰ মাজতে। সন্ধ্যাৰো খুব মন গৈছে, যেন সিহঁতৰ লগতে গৈ অথনিৰে পৰা জোৰকৈ ৰখাই থোৱা মনটো খুলি দি নাচিব। কিন্তু অনুৰণ ৰৈ আছে কাষত। কিয় জানো তাইৰ কিবা সংকোচ লাগিল। পিছে সন্ধ্যাক আচৰিত কৰি অনুৰণে ক'লে,

"যোৱা তুমিও, অলপ ফুৰ্তি কৰি আহা।"

সন্ধ্যাই আচৰিত হৈ চাইছিল। তথাপি সি ক'লেও তাইৰ চোন কিবা যাবলৈ ভাল লগা নাই। মনটোও আছে, অথচ কিবা লাজ লাজ ভাৱ। অনুৰণে আকৌ ক'লে,

"যোৱা, অভিমন্যুক নকওঁ মই।"

এইবাৰ হাঁহি উঠিছিল সন্ধ্যাৰ। অনুৰণেও হাঁহিলে। হাঁহি হাঁহিয়ে তাই পুলটোৰ পৰা ফিল্ডলৈ দৌৰিলে। নৱনীতাই আগবাঢ়ি আহি "বা, আমি জিকিলোঁ" বুলি সাৱটি ধৰিলে তাইক। পখী আৰু তৃষ্ণাই মিলি দাঙিও ল'লে সন্ধ্যাক। সিহঁতে জানে আৰু দেখিছে সন্ধ্যাই নিজে নানাচিলেও কিমান কষ্ট কৰিছিল। পৱন দাৰ ঢোলত ফিল্ডৰ মাজতে এপাক হেঁপাহ পলুৱাই নাচিলে সন্ধ্যাই। নাহৰজোপাৰ তলৰ পুলটোৰ পৰা অনুৰণে তাইলৈ চাই প্ৰশান্তিৰ হাঁহি মাৰিছিল।

কিছু সময়ৰ পাছত দলটো শৰাইঘাট হোষ্টেলৰ ফালে যোৱাত সন্ধ্যা উভতি আহিল। অনুৰণ পুলতে বহি আছিল। সন্ধ্যাৰ মুখত অথনিৰ উদাসী এন্ধাৰ খিনি নাছিল।

Kaushik

"Congrats" অনুৰণে ক'লে।

"থেংক ইউ। বহুত টেনশ্যন হৈ আছিল।"

অনুৰণে কিবা ক'ব লওঁতেই তাৰ ফোনটো বাজিল। অভিমন্যুয়ে কৰিছে। সন্ধ্যাৰ বুকুখন চিৰিংকৈ গ'ল। কি হ'ব এতিয়া? তাই ওলাই অহা বুলি যদি অনুৰণে কৈ দিয়ে, তেন্তে? আকৌ কাজিয়া, গালি। অনুৰণে ফোনটো উঠালে,

"অ কোৱা --- এইয়া বাহিৰলে আহিছিলোঁ অলপ --- অঁ, এই ৰাজদ্বীপৰ লগত -- অঁ খাওঁ গে ভাত, মই গৈছোঁ ৰ'বা তোমাৰ ৰুমত।"

সন্ধ্যাই ভবাও নাছিল যে অনুৰণে অভিমন্যুক তাইৰ বাবে ফাঁকি দিব। তাই দীঘলকৈ উশাহ এটা ল'লে। ফোনটো থৈ অনুৰণে তাইলৈ চাই হাঁহিলে। সন্ধ্যাইও মুখত দুষ্টালি হাঁহি এটা লৈ ক'লে,

"কেতিয়াবা কাৰোবাৰ মুখত মিছা কথা শুনিও ভাল লাগে।"

"কেতিয়াবা কাৰোবাৰ কাৰণে মিছা কথা কৈও ভাল লাগে।" অনুৰণেও একেটা সুৰতে ক'লে।

জোৰকৈ হাঁহি উঠিছিল সন্ধ্যাই। অনুৰণে কৈছিল,

"ব'লা এতিয়া। হোষ্টেলত থৈ আহোঁ।"

"নালাগে হ'ব। মই পাৰিম। তুমি যোৱা। সেইজন ভোকত মৰিব এতিয়া।"

অনুৰণ আহিব খুজিছিল যদিও সন্ধ্যা অকলেই আহিল। মনটো কিয় জানো কিবা ভাল লগা এটাই আৱৰি আছিল। আচৰিত, অভিমন্যুৰ লগত থাকিলে এই মুকলি মুকলি ভাৱটো নাথাকে। কিবা যেন বন্দী বন্দী অনুভৱ হয়। প্ৰেম মানে জানো বন্দীত্ব?

কথাবোৰ ভাবি ভাবি সোৱণশিৰীৰ সন্মুখ পাইছিলহে সন্ধ্যা। হঠাৎ ছোৱালী এজনী আহি তাইৰ গাতে উবুৰি খাই পৰিলেহি। সন্ধ্যাই থাপ মাৰি ধৰিলে বুলিহে। নহ'লে মুখ থেকেচা খাই পৰিলহেঁতেন ৰাস্তাত। চুলি মেলি বাউলী হৈ থকা ছোৱালীজনীৰ মুখ খন চাই উচপ খাই উঠিছিল সন্ধ্যা। কাৰণ ওঁঠৰ তলত অলপ তেজ, চকুত পানীৰ টোপালেৰে সেইজনী পথী। সোৱণশিৰীৰ আগত গছ জোপাৰ তলত এন্ধাৰত ৰৈ আছে

Kaushik

কোনোবা ল'ৰা এটা। ছাঁ পৰি থকাৰ বাবে মুখখন ধৰিব পৰা নাই। কঁপি থকা পথীয়ে আঁকোৰলি ধৰিছিল সন্ধ্যাক।

(আগলৈ)

#নিৰিবিলি

Part 82

"পথী, কি হৈছে তোৰ?"

সন্ধ্যাৰ মাতৰ একো উত্তৰ নিদি মাত্ৰ তাইক সাৱটি ধৰি কঁপি আছিল পথী। সেই ল'ৰাটোৰ ছাঁয়া মূৰ্তিটো আগুৱাই আহিল। সন্ধ্যাক সাৱটি থকা পথীৰ চুলিত পিছফালৰ পৰা ধৰি টান মাৰি আঁতৰাই আনিলে। সন্ধ্যাই তলকিবই নোৱাৰিলে কি হৈ আছে। পথীয়ে হাতযোৰ কৰি উচুপিছে,

"অংকুৰ, প্লিজ ইয়াত এইবোৰ নকৰিবা। প্লিজ অংকুৰ।"

নাই ল'ৰাটোৱে শুনা নাই একো। এটা হাতেৰে পথীৰ চুলি কোঁচাত ধৰি আনটো হাতেৰে তাইক চৰ মাৰিবলৈ উদ্যত হৈছিল। এইবাৰ ৰৈ নাথাকিল সন্ধ্যা। চৰটো পথীৰ গালত পৰাৰ আগতেই ল'ৰাটোৰ হাতত থাপ মাৰি ধৰি ওলোটাই তাৰ গালত সন্ধ্যাই বহাই দিলে এটা প্ৰচণ্ড বোন্দা চৰ। হঠাৎ হোৱা আক্ৰমণত ল'ৰাটো দুখোজ পিছুৱালে। তাৰ পাছতেই "তই কাৰ গাত হাত দিছ" বুলি আগুৱাই আহিল সন্ধ্যাৰ ফালে। তাই সাজু হৈয়ে আছিল। সুযোগ বুজি বাগি দি সাৰি তাৰ পিঠিত এটা প্ৰচণ্ড থিয় গোৰ সোধাই দিলে সন্ধ্যাই। সন্ধ্যাৰ ওখ জোতা যোৰৰ আঘাত সহিব নোৱাৰি মাটিত বাগৰি পৰিল সি। লগে লগে পথীৰ হাতত ধৰি চোঁচৰাই নিয়াৰ দৰে একে দৌৰে সোৱণশিৰীৰ ভিতৰ সোমালগৈ সন্ধ্যা। হোষ্টেলৰ গেটখন পাৰ হৈহে উশাহ ল'লে দুয়োজনীয়ে।

ৰুমত সোমাই পথী বহি পৰিল বিচনাত। মুখেৰে মাত দিয়া নাছিল একো। সন্ধ্যাই যেন পথীৰ মাজত এবছৰ আগৰ নিজক দেখা পাইছে। কৌশিকৰ চক্ৰান্তৰ বলি হৈ তাইৰো ঠিক এনে এটা অৱস্থাই হৈছিল। সন্ধ্যাই একো নুসুধিলে পথীক। কাৰণ তাই বুজি পাই এই সময়ত কাৰো উত্তৰ দিয়াৰ মানসিক অৱস্থা নাথাকে। মুখখন ধোৱাই

পখীৰ কাপোৰ সাজ সলাই দিলে সন্ধ্যাই। ওঁঠখন ফাটি ওলাই থকা তেজখিনি মচি কিবা মলম এটা সানি দিলে। ভাত কেইটাও ৰুমতে আনি খোৱাই শোৱাই দিছিল তাইক। তলত বিহু গ্ৰুপটোৰ চিঞৰ বাখৰ। শৰাইঘাটৰ পৰা আহি পালেহি মানে। কংকনাই আহি সন্ধ্যাকো টানি লৈ গ'ল। অলপ সময় সিহঁতৰ মাজত থাকি উভতি আহিছিল সন্ধ্যা। আহি দেখে পখীয়ে বিচনাত বহি কান্দি আছিল। সন্ধ্যাই মৰমেৰে মূৰত হাত বোলাই সুধিলে তাইক,

"পখী, কচোন মোক। কি আছিল এইবোৰ?"

হয়তো পখীয়েও সকলো ক'ব বিচাৰিছিল। উচুপনিৰ মাজেৰেই পখীয়ে সন্ধ্যাক কৈ গৈছিল তাইৰ জীৱনৰ কিছু ক'লা বগা কাহিনী।

হায়াৰ চেকেণ্ডেৰীৰ সময়ৰ কথা। কলেজৰ ছিনিয়ৰ ল'ৰা অংকুৰ। ফেচাৰ্চ হৈ যোৱা দুদিন পাছতে পখীক প্ৰপোজ কৰিলে। সৰুৰে পৰাই "বিন্দাছ" এটিটিউদ লৈ ঘূৰা পখীয়ে পোনচাটেই নাকচ কৰিছিল তাৰ প্ৰস্তাৱ। কিন্তু অংকুৰে মানি লোৱা নাছিল। আঁতৰে আঁতৰে থাকিও সি পখীৰ কাষে কাষেই আছিল। কলেজৰ যিকোনো অসুবিধা, যিকোনো কামত পখীৰ কাষত সি থিয় হৈছিলহি। সময়ৰ লগে লগে পখীৰো তাক ভাল লাগিবলৈ ল'লে। অংকুৰৰ ব্যৱহাৰ, তাৰ মৰমবোৰ, পখীৰ পৰা ৰিজেকশ্যন পাইও তাইৰ প্ৰতি থকা তাৰ ভালপোৱাই পখীক এদিন বাধ্য কৰালে তাৰ প্ৰেমত পৰিবলৈ। এনেকৈয়ে অংকুৰ আৰু পখী এটা সম্পৰ্কত আহিল। সৰুৰে পৰা খাৰাংখাচ ধৰণৰ পখী সলনি হৈছিল এজনী মৰমলগা পুতলালৈ। অংকুৰে আৱৰি ৰাখিছিল তাইক। সময় পাৰ হ'ল। পখী হায়াৰ ছেকেণ্ডৰী পাছ কৰি গ্ৰেজুৱেচন পাইছিল। একেই কলেজত পঢ়ি আছিল অংকুৰেও। নতুন কলেজত বহুতৰ মুখত অংকুৰৰ ন ন কথা শুনিছিল তাই। তথাপি বিশ্বাস কৰা নাছিল। ভালপোৱাবোৰে যদি চকুত ধৰে তেতিয়া জীৱনটো খুব কষ্টকৰ হৈ পৰে। প্ৰেমত বিশ্বাসৰ প্ৰয়োজন কিন্তু অন্ধভাৱে নহয়। কথাবোৰৰ প্ৰমাণ পখীয়ে সেইদিনা পাইছিল যিদিনা অংকুৰে তাইক সেই অদ্ভুত প্ৰস্তাৱটো দিছিল। কোনোবা এখন পাৰ্কত এটি সন্ধিয়া অংকুৰৰ বাহুৰ মাজত থাকোঁতে সি পখীক কৈছিল,

"আমি ৰিলেশ্যনটো আৰু অলপ আগবঢ়াব পাৰোঁ নেকি?"

প্ৰথমে বুজা নাছিল পখীয়ে। কি আগবঢ়াবলৈ আছে! পাছত বুজিছিল। অংকুৰে শাৰিৰীক সম্পৰ্ক কৰিব খুজিছিল পখীৰ লগত। পখী অংকুৰৰ প্ৰেমত অন্ধ হৈছিল

Kaushik

সঁচা। কিন্তু নিজৰ সৰ্বস্ব উজাৰি দিব পৰাকৈও নহয়। ঘৰৰ সংস্কাৰ, দেউতাকৰ সন্মান এইবোৰক আগত ৰাখি তাই নিজৰ উদং শৰীৰটো অংকুৰৰ সমুখত এৰি দিবলৈ অমান্তি হোৱাৰ লগে লগে দেখিছিল অংকুৰৰ আচল স্বৰূপটো। সঁচাকৈ, এজন মানুহৰ চৰিত্ৰ তেতিয়াহে গম পাই যেতিয়া তেওঁৰ কিবা কথাত অমান্তি হোৱা যায়। পখীয়েও গম পাইছিল। অংকুৰে দমেৰে কৈছিল,

"কি ভাবিছ হা? তোৰ ঘৰত গৈ বাপেৰৰ আগত কৈ থৈ আহিম মই তই ক'ত ক'ত ঘূৰিছ মোৰ লগত। তোৰ যি যি ফটো আছে চব ছচিয়েল মেডিয়াত এৰিম মই। ভালে ভালে মানি ল।"

প্ৰিয়জনৰ বিষয়ে শুনা এটা কথা মিছা বুলি উৰুৱাই দিয়াৰ পাছত চকুৰ সমুখতে যেতিয়া তাক সঁচা হোৱা দেখা যায়, তাতকৈ অধিক যন্ত্ৰণা হয়তো একোৱেই নাই। পখী বোবা হৈ গৈছিল অংকুৰৰ এই ব্যৱহাৰত। প্ৰায় সকলো প্ৰেমিক প্ৰেমিকাৰ থকাৰ দৰেই পখী আৰু অংকুৰৰো কিছু অন্তৰংগ মূহুৰ্ত বন্দী হৈছিল অংকুৰৰ কেমেৰাত। অংকুৰৰ ধমকিত পখীয়ে ভয় খাইছিল সঁচা, কিন্তু কোনোপধ্যে মানি লোৱা নাছিল অংকুৰৰ প্ৰস্তাৱ। তাৰ পৰিণতিত ঘটিছিল পখীয়ে ভাবিব নোৱাৰা ঘটনাবোৰ। প্ৰথম অৱস্থাত অংকুৰে মদ খাই মাতাল হৈ পখীৰ ঘৰলৈ আহি মাক দেউতাকক অপমান কৰিছিলহি। পখীৰ ঘৰত থাকিব নোৱাৰা অৱস্থা হৈছিল। শেষত যেনিবা মাক দেউতাকে তাইৰ ভুলৰ ক্ষমা কৰি তাইৰ পক্ষত থিয় দিছিল। কিছু সকাহ পাইছিল পখীয়ে। তাৰ পাছতো আকৌ ছচিয়েল মিডিয়াত অংকুৰে এৰি দিছিল পখী আৰু তাৰ ফটোবোৰ। চাৰিওফালে ঠাট্টা মস্কৰা। তাৰ মাজতো খুব কষ্টেৰে জী আছিল পখী। মাক দেউতাকে আৱৰি আছিল তাইক। লাহে লাহে সময়ৰ লগে লগে সকলো ঠিক হৈছিল। কম বয়সতে জীৱনৰ কৰ্দয্য ৰূপটো ওচৰৰ পৰা দেখা পোৱা পখী হৈ পৰিছিল লাহে লাহে সমাজৰ ভাষাত এজনী "বেয়া ছোৱালী"। আগৰ কথাবোৰ পাহৰিবলৈ মাজে মাজে লগৰ ছোৱালীৰ লগত মদ খাইছিল তাই। ঘূৰিছিল ল'ৰা বন্ধুৰ লগত। অংকুৰ আঁতৰি গৈছিল যদিও তাৰ প্ৰভাৱ পখীৰ জীৱনত যেন ৰৈ গৈছিল। পখী আচৰিত হৈছিল মানুহৰ দুমুখীয়া চৰিত্ৰত। যিখিনি মানুহে তাইক "চৰিত্ৰহীনা" বুলি ইতিকিং কৰিছিল, তেজপুৰ বিশ্ববিদ্যালয়ত ছিট পোৱাৰ পাছত সেই একেখিনি মানুহেই "ইমান চোকা ছোৱালী" বুলি প্ৰশংসাও কৰিছিল। লাহে লাহে মানুহৰ ওপৰত ভাল ভাৱ নোহোৱা হৈছিল পখীৰ। কালৈকো কেৰেপ নকৰা স্বভাৱ গঢ় লৈছিল তাইৰ। সকলো ভালেই চলি আছিল। অংকুৰো ব্যস্ত হৈছিল তাৰ নতুন প্ৰেমিকাৰ সৈতে। কিন্তু তাৰ

Kaushik

মাজতে তেজপুৰ ইউনিভাৰ্চিটীৰ কাৰোবাৰ পৰা অংকুৰে খবৰ পাইছিল ইয়াত থকা পখীৰ কথা। সি তাইক ফোন কৰিবলৈ চেষ্টাও কৰিছিল। তাৰ কথাটো হ'ল পখি আকৌ তাৰ জীৱনলৈ ঘূৰি যাব লাগে। কিন্তু পখীয়ে ব্লক কৰিছিল তাক। লগে লগেই ভাৰ্চিটী উইকৰ ব্যস্ত চৌহদৰ সুযোগ লৈ অংকুৰ ইয়ালৈ আহিল আৰু তাৰ পাছত এইবোৰ। বহু সময়ৰ পৰা সোৱণশিৰীৰ আগতে ৰৈ আছিল অংকুৰ। প্ৰথম বিহু চাবলৈ ওলাই যাওঁতে ভিৰৰ মাজত লুকাই গৈছিল পখী। সেইবাবে সি ধৰিব নোৱাৰিলে। কিন্তু এতিয়া ৰাতি অকলে পাই মাতাল হৈ থকা অংকুৰৰ জবৰদস্তি। পখীয়ে ভবাই নাছিল যে অংকুৰ এই ৰাতিও তাইৰ হোষ্টেলৰ আগত ৰৈ থাকিব। সন্ধ্যা আহি নোপোৱা হ'লে সি এটা দৃশ্যৰ সৃষ্টিয়ে কৰিলেহেঁতেন। সকলোৰে সমুখত পখীৰ সন্মানো গ'লহেঁতেন।

আচৰিত হৈছিল সন্ধ্যা কথাবোৰ শুনি। মানুহ এনেকুৱাও হ'ব পাৰে নে? অংকুৰ নিশ্চয় এতিয়াও ইয়াতে আছে। কাইলৈ মেইন ফাংচনত যে সি অঘটন নঘটাব তাৰো মানে নাই। কথাবোৰ ভাবি নিজে চিন্তাত পৰিলেও পখীক "মই কিবা এটা কৰিম ৰহ" বুলি আশ্বাস দি শুবলৈ দিলে সন্ধ্যাই। কথাবোৰ কৈ মনটো পাতল হোৱাত পখীও টোপনিত পৰিল। সন্ধ্যা ওলাই আহিছিল বাহিৰলৈ। কাইলৈ কালচাৰেল প্ৰচেছন। আজি গোটেই ৰাতি চকু টোপনিয়াবলৈ সময় নাপাই কোনেও। এনেই পখীও থাকিলহেঁতেন। কিন্তু সন্ধ্যাই ইচ্ছা কৰিয়ে নানিলে তাইক। দুজনী মানে সুধিছিল। সন্ধ্যাই তাইৰ গা বেয়া বুলিয়ে ফাঁকি দি থ'লে।

Kaushik

অভিমন্যুৰ ৰুমত অথনিৰে পৰা বহি আছে ময়ূঁৰ। প্ৰিয়ানুজৰ লগতে দুই এটা কথা পাতি আছিল অভিমন্যু অহালৈ। এটা সময়ত প্ৰিয়ানুজো কাঞ্চনজংঘালৈ যাওঁ বুলি ওলাই গ'ল। প্ৰায় আধা ঘন্টা মানৰ মূৰত ওলালহি অভিমন্যু।

"ক'ত আছিলি ইমান সময়?"

ময়ূঁৰে সুধিলে। পিন্ধি থকা জেকেটটো খুলি হেঙাৰ ডালত আওঁজাই অভিমন্যুয়ে ক'লে,

"এনেই ওলাই গৈছিলোঁ।"

"কাৰ লগত?" ময়ূঁৰে আকৌ সুধিলে।

অভিমন্যুয়ে এবাৰ তালৈ চাই উত্তৰ দিলে,

"মৃদুল যে, আমাৰ বিশ্বজিতৰ ৰুমমেট। তাৰ লগত।"

"কি পাঠ পঢ়ালে আজি মৃদুলে?" ময়ূঁৰে শ্লেষভৰা সুৰেৰে ক'লে।

"মানে?" অভিমন্যুয়ে একো বুজি পোৱা নাই। নোপোৱাটোয়েই স্বাভাৱিক। ময়ূঁৰে কাৰোবালে ফোন লগালে,

"অভিমন্যুৰ ৰুমলৈ আহা।"

তাৰ পাছত আকৌ অভিমন্যুলৈ চাই ক'লে,

"বাকী কচোন, সন্ধ্যাক বিহু নাচিবলৈ নিদিলি কিয়?"

"সেইটো কি সুধিব লগা কথা? মোৰ ভাল নালাগে তাই বেলেগৰ লগত নাচিলে। সেইকাৰণে---"

অভিমন্যুক শেষ কৰিবলৈ নিদি ময়ূঁৰে ক'লে,

"তোৰ ভাল নালাগে নে বেলেগ মানুহৰ ভাল নালাগে।"

"মানে? কি ক'ব খুজিছ তই?"

"অলপ ৰ, বুজি পাই যাবি চব।"

ময়ূঁৰে আকৌ ফোনটো কৰিবলৈ লওঁতেই ৰুমৰ দুৱাৰখন খুলি বিশ্বজিৎ সোমাই আহিল।

"আহা বিশ্ব আহা। আৰু কথাবোৰ কোৱা।"

ময়ূঁৰে ক'লে। অভিমন্যুয়ে একো বুজা নাই কি হৈ আছে। বিশ্বজিতে সৰু সৰু মাতেৰে কৈ গ'ল,

"মোক ক্ষমা কৰি দিবা অভিমন্যু। তোমাক আচলতে আগতেই এইবোৰ ক'ব লাগিছিল।"

"হাৰে, এইবোৰ হৈছে কি? কি কৈ আছা তোমালোকে?" অভিমন্যু যেন চাকনৈয়াত পৰিছে। বিশ্বজিতে আকৌ ক'লে,

"আচলতে তুমি আৰু সন্ধ্যা ৰিলেশ্যনত অহাৰ কথাটো মইয়ে মৃদুলক কৈছিলোঁ। ৰুমমেট হিচাপে সেইবোৰ কথা পতা যায়েই ন। কথাটো শুনি সি ক'লে, সি হেনো তোমালোকৰ ৰিলেশ্যন বেয়া কৰিহে এৰিব। লাভৰ লগতে ফ্ৰেণ্ডশ্যিপটোও।"

Kaushik

"কি? কি কৈছা এইবোৰ? মৃদুলে এইবোৰ কিয় কৰিব?" অভিমন্যুয়ে চিঞৰি উঠিছিল। ময়ূঁৰে তাৰ বাহুত থপৰিয়াই ক'লে,

"তোৰ মনত আছে? এদিন মৃদুলে সন্ধ্যাৰ কথা বেয়াকৈ কৈছিল। তাইক হোটেল নিব লাগে বুলি। আৰু তই মৃদুলক দম দিছিলি। তেতিয়াতো সি তোক ক্ষমা খুজি ল'লে, কিন্তু সি সেইবোৰ পাহৰি যোৱা নাছিল।"

অভিমন্যু বিচনাত বহি গ'ল। তাৰ চকুৰ আগত ভাঁহি আহিল কিছুদিন আগৰ ছবি।

"এই ব্ৰ', পাৰ্টি এটা লাগিছিল বে। ৰিলেশ্যনত আহি গ'লা। তাকো সন্ধ্যাৰ লগত।"

সন্ধ্যা আৰু অভিমন্যুৰ সম্পৰ্কৰ কেইদিন মান পাছত এদিন পাটকাইৰ মুখতে পাই মৃদুলে অভিমন্যুক ক'লে। অভিমন্যুয়ে উত্তৰত মাত্ৰ হাঁহিছিল। সেইদিনা সি সন্ধ্যাৰ লগত খাবলৈ ওলাই গৈছিল। খাই থাকোঁতেই মৃদুলে ফোন কৰিছিল যে কিবা জৰুৰী কামত হোষ্টেল আহিব লাগে। সেই যে সন্ধ্যাই অভিমন্যুক সোৱণশিৰীত থৈ আহিবলৈ কৈছিল আৰু অভিমন্যুয়ে যাব নোৱাৰোঁ বুলি তাইক অনুৰণৰ লগত পঠাইছিল। কিন্তু হোষ্টেল আহিহে সি গম পাইছিল যে তাৰ একো বিশেষ কাম নাছিলেই, মাত্ৰ ভাৰ্চিটী উইকৰ দুই এটা কথাহে।

তাৰ পাছত এদিন মৃদুলহঁতৰ ৰুমতে Techxetraৰ কথা ওলাওঁতে মৃদুলে অভিমন্যুক জোকাইছিল,

"কিহে ভাই? Techxetraত হেনো তোমাৰ মিছেছ ঘৰলৈ যাব?"

"সিহঁতৰ গাঁৱত ৰাস আছে সেইদিনাই। আৰু সন্ধ্যাই ৰাস খুব ভাল পায়।"

অভিমন্যুৰ কথা শুনি যেন মৃদুল হাঁহিত ফাটি পৰিছিল,

"কি কোৱা হে? ৰাস আছে, ৰাস নাচিবলে যাব? এইটোনো কথা হ'ল নে?"

সেইয়া আৰম্ভণি। তাৰ পাছত প্ৰায় আধা ঘণ্টা মান সময় মৃদুলে অভিমন্যুক বুজাইছিল প্ৰথম প্ৰথম সম্পৰ্কত আহিয়ে গাৰ্ল ফ্ৰেণ্ডক নিজৰ মতে ফুৰিবলৈ দিলে কি কি ক্ষতি হয়। অভিমন্যুয়ে মানি লৈছিল। ফোনত সন্ধ্যাক ঘোষণা কৰিছিল,

"তই ঘৰলৈ যাব নালাগে।"

Kaushik

তাৰ পাছত সেই ভাৰ্চিটী উইকৰ পেয়াৰিং ঘোষণাৰ পাছত হোৱা মিটিং খনৰ পাছৰ কথা। মৃদুল আৰু অভিমন্যু আবেলি ওলাই গৈছিল। তাতেই মৃদুলে আকৌ কৈছিল,

"সন্ধ্যাই কি এইবাৰ আকৌ বিহু নাচিব নেকি?"

"অঁ নাচিব। তাইতো এনেও বিহু বুলিলে পাগল।"

আকৌ আৰম্ভ হৈছিল মৃদুলৰ প্ৰেমৰ পাঠ,

"বলিয়া নেকি তুমি? তুমি থাকোঁতে তাইক বেলেগৰ লগত বিহু নাচিবলৈ দিবা নে?"

এইবাৰ অভিমন্যুয়ে মানি লোৱা নাছিল সহজে,

"বিহুতটো বহুত ছোৱালী থাকিব। আৰু--"

তাক শেষ কৰিবলৈ নিদি মৃদুলে আকৌ কৈছিল,

"ধুৰ, এইবোৰৰ কাৰণেই তোমাক আগৰজনীয়ে ঠগিলে। ইমান যদি ফ্ৰিদম দিয়া ক'ত আৰু থাকিব ছোৱালী।"

আকৌ প্ৰায় আধা ঘন্টাৰ পাঠ। লগে লগে অভিমন্যুৰ সন্ধ্যালৈ ফোন,

"তই বিহু নাচিব নোৱাৰ।"

Kaushik

কথাবোৰ মনত পৰি খঙত জ্বলি উঠিল অভিমন্যু। ময়ূঁৰে কৈছিল,

"বাকী সকলোতে তই মোতকৈ আগবঢ়া হ'লেও মানুহ চিনি তোতকৈ মই ভালকৈ পাওঁ অভি। সিদিনা মৃদুলে তোৰ আগত কিবা কৈ থাকোঁতে মই আহি যোৱাত সি মনে মনে থাকিল। তেতিয়াই মোৰ সন্দেহ হৈছিল। আৰু বিশ্বজিতক সোধাৰ লগে লগে চব কথা ওলাল।"

"ইয়াক আজি মই শেষ কৰি দিম।"

বুলি খঙত দুৱাৰখন গোৰ মাৰি খুলি অভিমন্যু ওলাই গ'ল। পিছে পিছে ময়ূঁৰ আৰু বিশ্বজিত।

মৃদুলে ৰুমত কাৰোবাৰ লগত ফোনত কথা পাতি আছিল। বেচেৰাৰ কপালেই বেয়া ৰুমৰ দুৱাৰখন খোলা আছিল। ফোনত সি হাঁহি হাঁহি কাৰোবাক কৈ আছে,

"একো চিন্তা নাই। চব ঠিকে চলি আছে। প্ৰেম বাদ দিয়া, সিহঁতৰ চ' কল্ড ফ্ৰেণ্ডছিপো নাথাকে।"

মৃদুল বহি থকা চকীখনত পিছফালৰ পৰা এক প্ৰচণ্ড গোৰ সোধালে অভিমন্যুয়ে। কৰ্ফাল খাই পৰিল মৃদুল। অভিমন্যুয়ে তাৰ চোলাৰ কলাৰত ধৰি উঠাই মুখত এটা ঘোঁচা বহোৱাই দিলে। আকৌ বিচনাত বাগৰি পৰিল মৃদুল। হঠাৎ ক'ৰ পৰা কি হ'ল সি একো তৎ ধৰিব পৰা নাছিল। তাক একো ক'বৰ সুযোগ নিদি অভিমন্যুয়ে ক'লে,

"কি হ'ল? কাৰ ফ্ৰেণ্ডছিপ বেয়া কৰ? কাক জোকাই লৈছ গম পাইছ নাই তই?"

মৃদুলৰ ডিঙিত জোৰেৰে চেঁপি ধৰিছিল অভিমন্যুয়ে। পিছফালৰ পৰা দৌৰি আহি বিশ্বজিতে আপ্ৰাণ চেষ্টা কৰিছে এৰুৱাবলৈ। কিন্তু পৰা নাই। ইফালে মৃদুলে উশাহ ল'ব নোৱাৰা অৱস্থা। তেনেতে ময়ূঁৰ সোমাই আহি অভিমন্যুক গহীন ভাৱে ক'লে,

"অভি, এৰি দে তাক।"

অভিমন্যুয়ে তেতিয়াও ধৰিয়ে আছিল। ময়ূঁৰে আকৌ ক'লে,

"অভি মই কৈছোঁ এৰ।"

লগে লগে এৰি দিছিল অভিমন্যুয়ে। মৃদুলক গতা মাৰি ৰুমটোৰ পৰা ওলাই আহিল সি। পিছে পিছে ময়ূঁৰ। নিজৰ ৰুমলৈ নগৈ পাটকাইৰ বাৰাণ্ডাৰ ষ্টেপটোতে বহিল অভিমন্যু। ময়ূঁৰে কেন্টিনৰ পৰা দুকাপ কফি আনি একাপ অভিমন্যুক দি তাৰ কাষতে বহিল। কফি কাপ খাই কিছু শান্ত হৈ অভিমন্যুয়ে ক'লে,

"বহুত ভুল কৰি পেলালোঁ অ' মই। বহুত অন্যায় কৰিলোঁ সন্ধ্যাৰ লগত। কি কৰোঁ এতিয়া কচোন।"

"ব্ৰেক আপ দে তাইক।" ময়ূঁৰৰ কথাত আচৰিত হৈ অভিমন্যুয়ে ক'লে,

"কিবা হৈছে নেকি? মইতো বেলেগৰ কথা শুনিহে এইবোৰ---"

"সঁচা প্ৰেমত হাজাৰটা বেলেগ মানুহ আহিলেও একো কৰিব নোৱাৰে অভি। এই যে কেৱল নিজৰ কৰি ৰখাৰ বাসনাটো, এইটো বন্ধুত্বত আহিব পাৰে। প্ৰেমত নহয়।"

অভিমন্যুয়ে একো কোৱা নাছিল। ময়ূঁৰে আকৌ ক'লে,

Kaushik

"বেছি দেৰি হোৱাৰ আগতে বস্তুবোৰ বুজি ল অভি। প্ৰেমৰ নাম দি ইমান ভাল বন্ধুত্বটো শেষ নকৰিবি। মুক্ত হ আৰু সন্ধ্যাকো মুক্তি দে।"

"তই বেছি ভাবিছ। এইবোৰ নহয়।" বুলি অভিমন্যু উঠি গ'ল। ময়ূঁৰে শ্লেষভৰা হাঁহিটো মাৰি পাটকাইৰ সমুখৰ কৃষ্ণচূড়া জোপালৈ চালে। ছাঁ পোহৰৰ মাজতে ওলাই আহিছিল সেই ছাঁয়া মূৰ্তিটো। ময়ূঁৰে হাঁহি মাৰি উঠি গ'ল। ওচৰ চাপি ক'লে,

"ৰাধা।"

অভিমন্যু বাহিৰে অনুৰণৰ ৰুমলৈ গৈছিল। অনুৰণেতো এইবোৰ একো গমেই নাপায়। সকলো কথা অনুৰণ আৰু ময়ূঁৰৰ আগত নক'লে যেন শান্তি নালাগেই অভিমন্যুৰ। হয়তো ইউনিভাৰ্চিটীয়ে দিয়া দুটা অমূল্য সম্পদ তাৰ জীৱনৰ। সেয়ে কিবা কথা সন্ধ্যাৰ পৰা লুকুৱালেও অনুৰণ আৰু ময়ূঁৰৰ পৰা নুলুকুৱাই সি।

অনুৰণ শোৱা নাছিল। ৰুমতে এনেই লেপটপ খুচৰি আছিল। অভিমন্যু গৈ পোৱাত সি উঠি বহিল। অভিমন্যুয়ে এফালৰ পৰা গোটেই কথাখিনি ক'লে তাক। সকলো মন দি শুনাৰ পাছত অনুৰণে ক'লে,

Kaushik

"এটা কথা কোৱা চোন।"

"কি কথা?" অভিমন্যুয়ে সুধিলে।

অনুৰণে ক'লে,

"সন্ধ্যাই বিহু নাচে এইটো বাৰু মৃদুলে জানেই। কিন্তু Techxetra ৰ দিনাই যে সন্ধ্যাহঁতৰ গাঁৱত ৰাস আছে, এইটো কথা মৃদুলে কেনেকৈ গম পালে? সি আগতেই গম কেনেকৈ পালে যে সন্ধ্যা ঘৰলৈ যাব?"

অভিমন্যুয়ে তেতিয়াহে কথাটো টং কৰিলে। অথনিৰে পৰা তাৰ মনলৈ এই কথাটো অহাই নাছিল। হয়তো, সি নোকোৱাকৈয়েতো মৃদুলে তাক সুধিছিল যে Techxetra ত হেনো তোমাৰ মিচেছ ঘৰলৈ যাব। অনুৰণে আকৌ ক'লে,

"ৰাসৰ কথাটো সন্ধ্যাই এদিন কেন্টিনত পাই মোক কৈছিল। তাৰ পাছত তোমাক ক'লে। এই কথাটোতো আমাৰ দুটাৰ বাহিৰে আন কোনেও নাজানে। তেন্তে মৃদুলে ক'ত গম পালে?"

কথাটোৰে ভবাই তুলিলে অভিমন্যুকো। হয়তো। সেইটো কথা আনকি ময়ূঁৰেও জনা নাছিল। বিশ্বজিতেতো একোৱে নাজানে। গতিকে সন্ধ্যা আৰু অভিমন্যুৰ মাজৰ যিটো কথা বিশ্বজিতেই নাজানে, সেইটো বিশ্বজিতৰ ৰুমমেট মৃদুলে কেনেকৈ জানিলে? এইবোৰ কথা মন কৰাটো সঁচাই অনুৰণৰ বাবেহে সম্ভৱ। ইমান সময়ে অভিমন্যুহঁতৰ মূৰলৈ একেবাৰে অহা নাছিল এই প্ৰশ্নটো। অনুৰণৰ মুখলৈ চাই ৰৈ গৈছিল অভিমন্যু। উত্তৰ না তাৰ ওচৰত আছিল, না অনুৰণৰ ওচৰত।

পিছদিনা ৰাতিপুৱাই সাংস্কৃতিক শোভাযাত্ৰা। সন্ধ্যাই ৰাতিপুৱা এবাৰ অভিমন্যুক ফোন কৰি জোকাইছিল,

"ব্লাউজ লাগে যদি এতিয়াই ক দেই।"

তাৰ যোৱা বছৰৰ দূৰ্গাৰ ৰূপ পাহৰা নাই কোনেও। সোৱণশিৰীয়ে এইবাৰ শোভাযাত্ৰাত দেখুৱাইছে অসমীয়া চিনেমা। একেবাৰে জ্যোতিপ্ৰসাদৰ জয়মতীৰ পৰা। সন্ধ্যা নিজেই হৈছিল আইদেউ সন্দিকৈ অৰ্থাৎ জ্যোতিৰ জয়মতী। তাৰ লগতে বাকীবোৰ চিনেমাও যেনে ডাক্তৰ বেজবৰুৱা, কন্যাদান, মন যায় আদি বছা বছা কেইখন মান চিনেমাৰ এটা এটা দৃশ্য দেখুৱাই গৈছিল। অভিমন্যুহঁত মানে পাটকাইয়ে নিজৰ "এৰাতিত গড় বান্ধা" পৰম্পৰা এই বছৰো অব্যাহত ৰাখিছিল। বহু সিদ্ধান্তৰ অন্তত পাটকাইয়ে দেখুৱাইছিল অসমৰ ইতিহাস : পাটকাই সিপাৰৰ পৰা অসম আন্দোলনলৈকে। অভিমন্যু এইবাৰ অসম আন্দোলনকাৰী হৈছে। গোটেই বাটটো সি আৰু তাৰ লগৰ কেইটাই "তেজ দিম তেল নিদিওঁ", "এই জুই জ্বলিছে" আদি শ্লোগান দি চিঞৰি চিঞৰি গৈ আছিল। সিহঁতৰ হোষ্টেলৰ শৰাইঘাটৰ যুদ্ধ খনেও দৰ্শকক ভাল আমোদ দিছিল। দুখন ঠেলাক আজৰ কায়দাৰ নাওৰ দৰে সাজি উলিয়াইছিল। পিছে প্ৰতিযোগিতাত বিজয়ী হ'ল শৰাইঘাট হোষ্টেলহে।

শোভাযাত্ৰা শেষ হোৱাৰ পাছতে মুখ হাত ধুই সন্ধ্যাই পথীক লগ ধৰিলে,

"বাহিৰতে কিবা এটা খাই আহোঁ ব'ল।"

পথীৰ যাবলৈ বৰ মন নাছিল। বাহিৰত গ'লেই যেন অংকুৰক পাব সেই ভয় এটা সোমাই আছিল তাইৰ। সন্ধ্যাই "একো নহয়, মই আছোঁ ব'ল" বুলি জোৰকৈ লৈ

Kaushik

আনিছিল তাইক। ইউনিভাৰ্চিটীৰ গেটৰ কাষৰে বিখ্যাত কমল দাৰ দোকানতে মেগী খাওঁ বুলি সোমাল সিহঁত। দোকানত সোমাওঁতেই দেখে আগৰ পৰাই তাত বহি আছিল অনুৰণ। সমুখত চাহ আৰু হাতত ছিগাৰেট। সন্ধ্যা সোমোৱাৰ লগে লগে ছিগাৰেটটো পেলাই ভৰিৰে মোহাৰি দিছিল অনুৰণে। সন্ধ্যাই দেখা পাই হাঁহি মাৰিলে। তাই পথীক লৈ অনুৰণ বহি থকা ঘূৰণীয়া টেবুলখনতে বহিল।

"খাব আহিলা?" অনুৰণে সুধিলে।

সন্ধ্যাই মূৰ দুপিয়াই পথীৰ লগত তাক চিনাকি কৰাই দিলে। পথীয়ে চিকেন মেগীৰ অৰ্ডাৰ দিলে। তাৰ পাছতে দুই এটা কথা অনুৰণ আৰু সন্ধ্যাৰ। এবাৰত সন্ধ্যাই কৈছিল,

"অনুৰণ, তোমাৰ লগত পথীৰ কথা এটা পাতিব লগা আছিল।"

পথীয়ে নক'বলৈ ইংগিত দিছিল যদিও সন্ধ্যাই অংকুৰৰ কথাখিনি অনুৰণৰ আগত ক'লে। কাৰণ তাই জানে এইক্ষেত্ৰত যদি কোনোবাই সহায় কৰিব পাৰে সেয়া কেৱল অনুৰণ। অভিমন্যুক ক'লেতো সি চিধা কাজিয়া কৰিবলৈ লাগিব। সন্ধ্যাৰ কথাখিনি শুনি লৈ অনুৰণে পথীলৈ চাই ক'লে,

"তোমাৰ ওচৰত অংকুৰৰ ঘৰৰ কাৰোবাৰ ফোন নম্বৰ আছে নি?"

"অঁ মাকৰ নম্বৰটো আছে।"

"বঢ়িয়া, দিয়াচোন মোক।"

পথীয়ে নম্বৰটো দিলে। সন্ধ্যা আৰু পথী দুয়োজনীয়ে ইজনীয়ে সিজনীৰ মুখলৈ চাইছিল। বুজি পোৱা নাছিল যে অনুৰণে আচলতে কি কৰিবলৈ ওলাইছে। ইফালে সিফালে চাই অনুৰণে ফোনটো লগাই পথীক সুধিলে,

"মাকৰ নামটো?"

"সাধনা বৰা।" পথীয়ে ক'লে। ফোনটো সিফালৰ পৰা ৰিচিভ কৰিলে। অনুৰণে লাউডত দিছিল। দুপৰীয়া হোৱাৰ বাবেই হ'বলা, দোকানত সিহঁতৰ বাহিৰে আন কোনো মানুহ নাছিল। অংকুৰৰ মাকে ফোনটো উঠাই "কোনে কৈছে" বুলি সুধিলে। অনুৰণে মাতটো যিমান পাৰে গলগলীয়া কৰি ক'লে,

"আপুনি অংকুৰ বৰাৰ মাক মিচেছ সাধনা বৰা হয় নে?"

Kaushik

"হয় হয়। আপুনি কোনে ক'লে?"

"মই তেজপুৰ ইউনিভাৰ্চিটীৰ ছিকিউৰিটী ইন চাৰ্জে কৈছোঁ। আপোনাৰ ল'ৰাই ইয়াত আহি এজনী ছোৱালীক মিচ বিহেভ কৰিছে। গতিকে ইউনিভাৰ্চিটীয়ে আপোনাৰ ল'ৰাৰ এগেইনষ্টত এখন কম্প্লেইন ফাইল কৰিছে।"

সন্ধ্যা আৰু পখীয়ে চকু ডাঙৰ কৰি চাইছিল অনুৰণলৈ। সিহঁতে সপোনতো ভবা নাছিল যে অনুৰণে তৎক্ষণাত এনেকুৱা এটা প্লেন বনাব। সিফালে অংকুৰৰ মাকে চিঞৰ মাৰি কৈছে, "কি---?"

অনুৰণে আকৌ ক'লে,

"হয়। নিয়ম মতে আমি তাক এৰেষ্ট কৰি থানাত গতাব লাগে। কিন্তু এবাৰ জেইলত সোমোৱাৰ পাছত আপোনাৰ ল'ৰাৰ কেৰিয়াৰ, লাইফ চব বৰবাদ। সেইবাবে মই প্ৰথমতে আপোনাক জনালোঁ। যদি আপুনি ল'ৰাক ইয়াৰ পৰা লৈ যাব পাৰে।"

পখীৰ "ফোঁ---হ" বুলি ওলাব খোজা হাঁহিটো সন্ধ্যাই মুখত সোপা দি যেনে তেনে ৰখালে। সিহঁতৰ অৱস্থা দেখি অনুৰণেও মুখ টিপি হাঁহিছিল। ইফালে অংকুৰৰ মাকৰ অৱস্থা কাহিল,

"আপোনাক যে কি বুলি ধন্যবাদ জনাওঁ। আপুনি চিন্তা নকৰিব। মই এতিয়াই তাক ঘৰলৈ মাতি পঠাম।"

"অকল মাতি পঠোৱাই নহয়। সাত জনমলৈ যাতে ইউনিভাৰ্চিটী কেম্পাছতো বাদেই, তেজপুৰলৈও নাহে। নহ'লে পুলিছ কাৰোবাৰ পিছত পৰিলে কি অৱস্থা হয় জানেই নহয়।"

অনুৰণে যে কেনেকৈ হাঁহি নুঠাকৈ একেটা সুৰতে কৈ আছে সি হে জানে। অংকুৰৰ মাকে হাজাৰটা ধন্যবাদ জনাই ফোনটো ৰাখিলে। লগে লগে কমল দাৰ দোকান কঁপাই হাঁহি উঠিছিল পখী আৰু সন্ধ্যাই। পখীয়ে হাঁহি হাঁহিয়ে ক'লে,

"অনুৰণ, ইউ আৰ জিনিয়াছ। মই ভবাই নাছিলোঁ যে ইমান ইজিলি ঠিক হৈ যাব।"

অনুৰণে উত্তৰত মাত্ৰ হাঁহিছিল। ইতিমধ্যে সন্ধ্যাহঁতৰ মেগী আহি পালেহি। অনুৰণে জোৰ কৰা সত্বেও সন্ধ্যাই তালৈকো অৰ্ডাৰ দিছিল। খাই থাকোঁতেই সিহঁতে দেখিছিল কমল দাৰ দোকানৰ আগেৰেই পাৰ হৈ যোৱা টেম্পুখনৰ আগ ছিটত বহি টাউনৰ

Kaushik

ফালে গৈ আছে অংকুৰ। তাৰমানে অনুৰণৰ ফোনে ভালকৈয়ে প্ৰভাৱ পেলালে। পথী ফুৰ্তিত ক'ফ

ক'ব নোৱাৰা হৈছিল,

"এতিয়াহে ফ্ৰী ফ্ৰী লাগিছে। মোৰ যে হোষ্টেলৰ পৰা ওলাবলৈকে ভয় লগা হৈ গৈছিল জানা নে। এনেকুৱা লাগে যেন সি গেটতে ৰৈ আছে।"

"তোৰ এনেই চবতে গুণ্ডামি। ইয়ালৈহে ইমান ভয়।" সন্ধ্যাই ক'লে।

পানী অলপ খাই পথীয়ে কৈছিল,

"ভয় নহয় সন্ধ্যা। কিন্তু মোৰ পাষ্ট লাইফৰ কিবা ঘটনাৰ প্ৰভাৱ এই তেজপুৰৰ জীৱনটোত পেলাব নোখোজো। সেইবাবেই সি হোষ্টেলৰ আগত মোক---"

পথীৰ কৈ নহওঁতেই অনুৰণে ক'লে,

"পিছে এটা কথা, অংকুৰে কেনেকৈ জানিলে যে পথী সোৱণশিৰীত আছে?"

প্ৰশ্নটোত মেগী খাবলৈ এৰি পথী আৰু সন্ধ্যা ৰৈ গৈছিল। হয়তো, প্ৰায় সাতখন গাৰ্লচ হোষ্টেল থকা ইউনিভাৰ্চিটীত পথী থকা হোষ্টেলখন কেনেকৈ বাছি উলিয়ালে অংকুৰে? আৰু ইউনিভাৰ্চিটীততো পথীৰ বিশেষ কোনো চিনাকিও নাই। আনকি তাইৰ ক্লাছৰে বেছি ভাগৰ লগত কথা বতৰা নহয়। তেন্তে অংকুৰে কেনেকৈ জানিলে? উত্তৰ নাছিল কাৰোৰে হাতত। যেনেকৈ নাছিল কৌশিকক সন্ধ্যাৰ দেউতাকৰ ফোন নম্বৰ কোনে দিয়াৰ উত্তৰ, যেনেকৈ নাছিল সন্ধ্যাক মিড টাৰ্মত ৰুমত কোনে বন্দী কৰাৰ উত্তৰ, যেনেকৈ নাছিল সন্ধ্যাৰ গগণা কোনোবাই ভাঙি পেলোৱাৰ উত্তৰ। অনুৰণৰ মনত পৰিছিল, মৃদুলে সন্ধ্যাৰ গাঁৱত ৰাস আছে বুলি কিদৰে গম পালে সেইটোৰো কোনো উত্তৰ নাছিল। কিন্তু কিয় জানো তাৰ মনে কয় এই সকলোবোৰৰ আঁৰত যেন কোনোবা এখনেই অদৃশ্য হাত আছে। কিন্তু কোন? উত্তৰ নাই।

(আগলৈ)

#নিৰিবিলি

Part 83

Kaushik

শ্ৰীকৃষ্ণই কৈছিল, "সেইখনেই আটাইতকৈ উত্তম যুদ্ধ, যিখন কেতিয়াও কৰিব লগা নহয়েই। যুদ্ধ, কাজিয়া, প্ৰতিশোধ এইবোৰে কেতিয়াও মনলৈ শান্তি নানে।"

কৃষ্ণৰ এই কথাখিনিয়েই যেন বাস্তৱত প্ৰয়োগ কৰি দেখুৱাইছিল অনুৰণে। পথীৰ ৰুমলৈ আহি ফুৰ্তিত তৎ নাছিল। ৰাতিলৈ কোন যোৰ সাজ পিন্ধিব তাকেই দেখুৱাই আছিল সন্ধ্যাক। হোষ্টেলৰ সন্ধ্যাহঁতৰ উইংটোৰ গোটেই ছোৱালীজাক আজি একেলগে ওলাব হেনো। পথীয়ে সন্ধ্যাকো কৈ আছে ওলাবলৈ। কিন্তু সন্ধ্যাই একো কোৱা নাই। কাৰণ তাই জানে, অলপ পাছতে অভিমন্যুৰ ফোন আহিবই। পথী যাওঁ বুলি ওলাই যোৱাৰ পাছতে অভিমন্যুয়ে সন্ধ্যালৈ ফোন কৰিলে,

"গ'লি নি ফিল্ডলে?"

"নাই, তই হোষ্টেল পালেহি ক'বি। ওলাই যাম।" সন্ধ্যাই ক'লে।

"আজি পথীহঁতৰ লগতে যা দে। এই কেইদিনতো মোৰ লগতে ঘূৰি আছ।"

সন্ধ্যা আচৰিত হ'ল অভিমন্যুৰ কথাত। ইয়াৰ আকৌ কি হ'ল! আজি নিজে নামাতি পথীহঁতৰ লগত যাবলৈ ক'লে যে! তথাপি তাই একো নুসুধি "হ'ব" বুলি ফোনটো কাটিলে। ভালেই হ'ব, এইটোৰ লগত গ'লে অকল নকৰিবি, নানাচিবি এনেকেই থাকে। গতিকে পথীহঁতৰ লগত যোৱাই ভাল। সন্ধ্যাই পথীলৈ ফোন কৰিবলৈ লৈছিলেই। তেনেতে হঠাৎ অন্য এটা ভাব মনলৈ আহিল। কালিলৈকে যিটো ল'ৰাই তাইক ঢোলৰ চেঁৰত আঙুলি এটাও লৰাবলৈ দিয়া নাছিল, ৰাতিটোৰ ভিতৰতে এনে কি ঘটিল যে আজি তাইক লগৰ ছোৱালীৰ লগত ঘূৰিবলৈ কৈছে। তাৰ মানে? মানে আৰু কি? সন্ধ্যাই ভবাটোৱেই। তাই লগে লগে অভিমন্যুলৈ ফোন লগালে।

"দা নম্বৰ ইউ হেভ ডাইল্ড ইজ কাৰেণ্টলি বিজি।"

সন্ধ্যাৰ সন্দেহ দুগুণ হৈছিল। নোৰোৱাকৈ ফোন মাৰিয়ে আছে তাই। এবাৰত অভিমন্যুয়ে উঠালে। সি একো ক'বলৈ নাপাওঁতেই সন্ধ্যা চিঞৰি উঠিল,

"কোন? কাৰ লগত বিজি? মোক পথীৰ লগত যাবলৈ দি নিজে কাৰ লগত প্লেন বনাইছ হা?"

"কি কৈ আছ? ঘৰৰ পৰা ফোন কৰিছিল।" অভিমন্যুও আচৰিত হ'ল সন্ধ্যাৰ কথাত। ঘপকৈ কি হ'ল এইৰ?

Kaushik

"মিছা কথা ক'বলৈ মানুহ পোৱা নাই আৰু? ঘৰৰ পৰা ফোন কৰিছিল? দেচোন স্ক্ৰীণ শ্বট দে। চাওঁ, কোনে কৰিছে চাওঁ দে।" সন্ধ্যাই উশাহ নোলোৱাকৈ কৈছে।

"তই পাগল হ'লি নি ঐ?" অভিমন্যুয়ে হঁহাৰ দৰে কৰিছিল যদিও সন্ধ্যা নাচোৰবান্দা। তাইক স্ক্ৰীণ শ্বট লাগিবই। শেষত যেনিবা অভিমন্যুয়ে প্ৰমাণ দিলতহে ৰক্ষা। বেচেৰাই তাইক মিছা কোৱা নাছিল। তথাপি সন্ধ্যাই ক'লে,

"হ'লেও মই পথীৰ লগত নাযাওঁ। তইও যাব নালাগে বেলেগৰ লগত। তই তললৈ আহ। মই ওলাই আছোঁ।"

উপায় নাপাই অভিমন্যু ৰাজী হ'ল।

মানুহৰ আটাইতকৈ আচৰিত চৰিত্ৰ হ'ল, মানুহে যিটো কাম আনে কৰিলে বেয়া পাই সেইটো কাম নিজে কৰাৰ সময়তো কথাটো ভাবি নাচায়। কামটো ভাল নহয় বুলি জনাৰ পাছতো, আনক সমালোচনা কৰাৰ পাছতো নিজৰ ক্ষেত্ৰত যেন দেখিও নেদেখা হৈ পৰে। সন্ধ্যাৰ ক্ষেত্ৰটো সেইটোৱে হৈছিল। "মই যদি চব তোৰ মতে কৰিব লাগে, তই কিয় নোৱাৰিব কৰিব" এইধৰণৰ জেদ এটা ক'ব নোৱাৰাকৈ সোমাই গৈছিল সন্ধ্যাৰ মনতো। কিন্তু সঁচা প্ৰেমত জেদ থাকে জানো?

ৰাতিলৈ ভাৰ্চিটী উইকৰ ফাংচন। সন্ধ্যা অভিমন্যুৰ লগতে ওলাই আহিল। ফিল্ডত মানুহৰ ভিৰ। এইবাৰ প্ৰগ্ৰাম একেবাৰেই ভাল লগা নাই সন্ধ্যাৰ। কি যে হ'ল ইউনিভাৰ্চিটী খনৰ। যোৱাবাৰ Techxetra ত অদিতি সিং আহিছিল। ভাৰ্চিটী উইকত জুবিন। এইবাৰ আকৌ দুইটাতে অকল বেণ্ড সোপাকে মাতিছে। কাম নাই আৰু। Techxetra ত বাৰু বেলেগ, কিন্তু ভাৰ্চিটী উইকততো অসমৰ কোনোবা গায়কক মাতিব পাৰে। কিন্তু নাই। বুজি নোপোৱা গান সোপাত মূৰ জোকাৰিহে ফুৰ্তি পাই চবেই। সন্ধ্যাহঁতে মাজতে পথীক দেখিলে। নাচত ক'বই পৰা নাই। সন্ধ্যাৰ ভাল লাগিল, বেচেৰীয়ে যোৱা এটা ৰাতি কিদৰে যে কটাইছিল। ভাগ্যে অনুৰণে--। অনুৰণৰ কথা মনত আহোঁতেই সন্ধ্যাই ইফালে সিফালে চালে। তাক দেখাই নাই ক'তো।

"ঐ, অনুৰ--ণ"

Kaushik

কি যে আচৰিত সংযোগ। তাই ভবাৰ সময়তে অভিমন্যুয়ে চিঞৰিলে অলপ আগত ৰৈ থকা অনুৰণক। সন্ধ্যাইহে দেখা নাছিল। অনুৰণ সিহঁতৰ ওচৰ পালেহি। অভিমন্যুয়ে মোবাইলটো আগুৱাই দি ক'লে,

"আমাক ফটো এখন মাৰা চোন।"

অনুৰণে হাঁহি মাৰি মোবাইলটো ল'লে। অভিমন্যুয়ে সন্ধ্যাৰ পিছফালেৰে হাতটো নি বাহুত ধৰিলে। কিয় জানো বৰ এক অসহ্য লাগিছিল তাইৰ। খুব জোৰকৈ মুখত হাঁহিটো আনিছিল।

"মজা উঠাইছা বে। এতিয়া মই মাৰিছোঁ, তোমালোক উঠা যোৱা।"

অভিমন্যুয়ে কোৱাৰ লগে লগেই একেলগে একেটা সুৰতে একে সময়তে সন্ধ্যা আৰু অনুৰণ দুইটাই ক'লে,

"নাই, নালাগে।"

অভিমন্যুয়ে আচৰিত হৈ দুইটালৈ চাইছিল। অনুৰণ আৰু সন্ধ্যাইও ইটোৱে সিটোলৈ চালে। অভিমন্যুয়ে হাঁহি হাঁহি আকৌ ক'লে,

"একো নহয়, ৰখা মই উঠাই দিছোঁ।"

উপায় নাপাই অনুৰণ আৰু সন্ধ্যা একেলগে ৰ'ল।

"সন্ধ্যা অলপ কাষলে আহ।"

অভিমন্যুয়ে কৈছিল। আঁতৰত ৰোৱা সন্ধ্যা ওচৰ চাপি আহোঁতে তাইৰ হাতটো অলপকৈ অনুৰণৰ হাতত লাগিল। নাচি বাগি অহাৰ বাবেই হ'বলা অনুৰণৰ অলপকৈ ঘামত ভিজি থকা হাতটোৰ এটা চেঁচা পৰশ পাই সন্ধ্যাৰ কিবা কঁপনি উঠিছিল। যেন গাত নিয়ঁৰহে পৰিছে। হয়তো অনুৰণৰো। ফটোখন উঠিয়েই "আহোঁ দিয়া" বুলি আঁতৰি গৈছিল সি।

কিছু সময়ৰ পাছত প্ৰগ্ৰাম শেষ। অভিমন্যুয়ে অলপ খোজ কাঢ়ো বুলি কৈ সন্ধ্যাক ৰখাইছিল। মন নাছিল যদিও ৰৈ গ'ল তাই। কিয় জানো কিবা এক সংকোচবোধত সিহঁত এটাও আজি নিৰিবিলিৰ ৰাস্তাটোৰে নগ'ল। তাৰ সলনি কমিউনিটি হলৰ কাষেৰে গৈ সন্ধ্যাহঁতৰ পুৰণা ডিপাৰ্টমেন্টৰ কাষৰ ৰাস্তাটোৰ ফালে আগবাঢ়িল। ফিল্ডৰ কাষৰ ৰাস্তাটোত গছ বোৰে ছাঁ পেলাই ৰাখে। লাইটৰ পোহৰত জিলিকি উঠা গছৰ

Kaushik

পাতবোৰে গোটেই ৰাস্তাটোকে যেন সেউজীয়া কৰি তুলিছে। গৈ থাকোঁতেই অভিমন্যুয়ে ক'লে,

"তোৰ চাগে মোৰ ওপৰত খং উঠি আছে ন খুব?"

"নাই।"

"বিহু নাচিবলৈ মন আছিল ন তোৰ খুব?"

"উম।"

"ছৰী সন্ধ্যা।"

"ছৰী শব্দটোৰে সময়বোৰ ঘূৰাই আনিব পৰা হ'লে ভালেই আছিল অভি।"

তাৰ ফালে চাই বৰ কৰুণ ভাৱে কৈছিল সন্ধ্যাই। খুব বেয়া লাগিছিল অভিমন্যুৰ। কিয় যে কৰিছিল সি তেনেকুৱা! আকৌ কিবা এটা ক'ব লওঁতেই তাৰ মোবাইলটো বাজিল। ঘৰৰ পৰা মাকে কৰিছে। ৰিচিভ কৰিবলে লওঁতেই সন্ধ্যাই ক'লে,

"এতিয়া নালাগে, পাছত কথা পাতিবি।"

"হাৰে মোৰ মায়ে কৰিছে ফোন।"

"মায়ে কৰিছে কাৰণেই কৈছোঁ। এনেই খবৰ ল'বহে কৰিছে। ৰুমত গৈ কথা পাতিবি।"

"দুই মিনিট লাগিব---" অভিমন্যুৰ কৈ শেষ নহওঁতেই "ঠিক আছে, পাতি থাক কথা মই যাওঁ" খৰ খোজেৰে আঁতৰি গৈছিল সন্ধ্যা। উপায় নাপাই ফোনটো কাটি দিলে অভিমন্যুয়ে। আগুৱাই গৈ ৰখালে তাইক,

"কাটিলোঁ অ' ফোন। ইমান কিয় খং কৰ নো।"

"তইহে কৰিব পাৰ নে কি খং?" বুলি হাঁহিছিল সন্ধ্যাই। অলপ সময় কথা পাতি সন্ধ্যাক হোষ্টেলত থৈ অভিমন্যুও পাটকাই পালেগৈ।

ভাৰ্চিটী উইকৰ পাছতে খৰকৈ যায় সময়বোৰ। সময়ৰ লগতে মিড টাৰ্ম আহি পালেহি। ৰুটিন দেখিয়েই খঙত জ্বলি উঠিছিল অভিমন্যুহঁত। বহাগ বিহুৰ উৰুকাৰ দিনালৈকে পৰীক্ষা!!

Kaushik

"এই ইউনিভাৰ্চিটীখন কিয় এনেকুৱা বাৰু? উৰুকাৰ দিনালৈকে পৰীক্ষা দি ঘৰ কেতিয়া যাম আমি?"

খঙত কথা পাতিছিল সকলোৱে। অভিমন্যুহঁতে এপ্লিকেচন দিওঁ চালে, নাই কামত নাহিল। পৰীক্ষা হ'বই। বেলেগৰ দৰে ইয়াততো আৰু আন্দোলন নকৰে কোনেও, গতিকে মানি লোৱাৰ বাহিৰে উপায়ো নাই। পৰীক্ষা দি ওচৰৰ থিনি ৰাতিয়ে ঘৰলৈ গৈছিল। অনুৰণে উৰুকাৰ দিনা ৰাতিয়ে টিকট কৰিলে। গৰু বিহুৰ দিনা ঘৰ পাইছিলগৈ। সন্ধ্যাৰ বাৰু ওচৰৰ বাবে বিশেষ অসুবিধা নাই।

বিহুৰ বন্ধ খোলাৰ পাছত যোৱা বছৰৰ দৰেই এইবাৰো Spring Fest হৈছিল। সন্ধ্যাক অভিমন্যুয়ে কোৱা সত্বেও তাই বিহু নানাচিলে। ভাৰ্চিটী উইকত নানাচি এতিয়া নাচিলে হোষ্টেলত যে কিমান যোৰ সন্দেহী চকুৰ মুখামুখি হ'ব লাগিব তাইও জানে। গতিকে ননচাই ভাল। এই কথাটো মনত পৰিলেই অভিমন্যুৰ ওপৰত এক অসহ্য খং উঠি আহে সন্ধ্যাৰ। ইমান ইচ্ছা থকা সত্বেও তাৰ কাৰণেই তাই নাচিব নোৱাৰিলে। অৱশ্যে আজিকালি তাইক অভিমন্যুয়ে আগৰ দৰে ইমান বেছি বাধা দি নাৰাখে। কিন্তু সন্ধ্যা তাৰ লগত সহজ নহয়। অভিমানতকৈ যেন তাইৰ আজিকালি জেদ বেছি হয়। মই কৰিছিলোঁ গতিকে তইও কৰ, এনে ভাৱ এটা চলি থাকে তাইৰ মনত। সময়বোৰ এইদৰেই গৈ আছিল। ছেমিষ্টাৰটোৰ শেষৰ ফাল পাইছিলগৈ।

Kaushik

হোষ্টেল বুলিলে বহুতেই এবাৰতেই মুখ কোঁচোৱাৰ দুটাই প্ৰধান কাৰণ, প্ৰথমটো হ'ল ৰেগিং আৰু দ্বিতীয়টো হ'ল হোষ্টেলৰ খানা। ৰেগিং যদিও এতিয়া অপৰাধ তথাপি লুকাই চুৰকৈ হৈয়ে থাকে। কেতিয়াবা নিউজত এতিয়াও আহে ৰেগিঙৰ অত্যাচাৰত মৃত্যু সাৱটি লোৱা শিক্ষাৰ্থীৰ কৰুণ কাহিনী। আনহাতে হোষ্টেলৰ খানাৰ কথাটো চাগে বিশেষ কোৱাৰ প্ৰয়োজনো নাই। দালিৰ নামত যদি জয়সাগৰ পুখুৰীৰ দৰ্শন পোৱা নাই, মাংসৰ নামত যদি সাগৰ সিঁচি মাণিক বিচৰাৰ দৰে অৱস্থা হোৱা নাই, খানাৰ বাবে যদি মেচ কমিটী আৰু কুকক সাত পুৰুষ উজাৰি গালি দি পোৱা নাই, তেন্তে কিহৰ হোষ্টেল লাইফ পাইছা হে তুমি? মুঠতে হোষ্টেলৰ খানা খাইও যি থাকিব পাৰে ; বাওঁহাতেৰে লিখি দিম সি জীৱনত কেতিয়াও খোৱা বস্তুৰ সোৱাদ লৈ অভিযোগ নকৰে।

পিছে তেজপুৰ ইউনিভাৰ্চিটীৰ হোষ্টেলাৰ সকলে সাধাৰণতে ৰেগিং আৰু "খানা" এই দুইটাৰেই সোৱাদ পোৱা নাই। কাৰণ, ইয়াত না বাকীবোৰ কলেজ ইউনিভাৰ্চিটীৰ নিচিনা ৰেগিং হয়, না ইয়াৰ খানা খাই জিভাৰ সোৱাদ নোহোৱা হয়। এক কথাত ক'ব গ'লে "হোষ্টেলৰ খানা"ৰ যি সংজ্ঞা, সি তেজপুৰ ইউনিভাৰ্চিটীত নচলে। অভিমন্যুহঁতৰ মতেতো ঘৰতকৈও ইয়াত বেছিহে ভাল লাগে খায়। লাগিবইতো ; সপ্তাহত যদি চাৰিদিন অকল মাংসই দিয়ে, ব্ৰেকফাষ্টত যদি চিকেন ৰোল চিকেন চাও দিয়ে দুপৰীয়া যদি ৰাজমাও মটৰ আদিৰ ঘূগুণি দিয়ে ভাল নালাগি পাৰে নে? সেইবাবেই খানা ক্ষেত্ৰত কোনো এখন হোষ্টেলৰে বিশেষকৈ পাটকাইৰ কোনো অভিযোগ নাছিল। পাটকাইৰ খানা চবতকৈ ভাল বুলি বাকীবোৰ হোষ্টেলত গুণগুণনিও চলিছিল। বেলেগ হোষ্টেলত খোৱাটো মানা যদিও ৰাজদ্বীপ, আৰিফহঁতে কেতিয়াবা পাটকাইতে মনে মনে সোমাই খাই যায়। কিন্তু এইবাৰৰ মেচ মেনেজাৰ কেইটা অহাৰ পাছতে যেন কথাবোৰ বেলেগ হৈছে। আগৰ দৰে পাটকাইৰ খানাত সোৱাদতো নাইয়ে, আনকি খোৱা বস্তুটোও ভাল নাই। সিদিনা দুপৰীয়া অকল ভাত দালি আৰু তিতা কেৰেলা। মুখেৰে ভোৰভোৰাই ভাত গিলিছিল অভিমন্যুয়ে,

"চালা দেৱা দা যোৱাৰ পাছত হোষ্টেলৰ চব বস্তুৰেই বেয়া হ'ল। এই সোপা খানা হ'ল নে?"

কথাটো মিছাও নহয়। দেৱাশীষ থকালৈকে কোনেও খেলিমেলি কৰাৰ সাহস কৰা নাছিল। আজিকালিহে কুক কেইটাও কিবা পাল মৰাৰ দৰে বনাই। হোষ্টেলাৰ বোৰে বেয়া পালেও আগৰ দৰে অভিযোগ দিবলৈ দেৱা দা নাই। গতিকে মনে মনেই থাকে। ভোৰভোৰাই থকা অভিমন্যুক সমুখত থকা জ্যোতি পৱনে কৈছিল,

"যদি বেয়াই নহয় সেয়া হোষ্টেলৰ খানা কেনেকৈ হ'ল?"

অভিমন্যুয়ে চকু কেইটা ডাঙৰ কৰি চালে তালৈ। তাৰ পাছত মিথুন চক্ৰৱতীৰ দৰে বিশেষ ভংগীমাত ক'লে,

"ক্যা বাত ক্যা বাত"

দিনত বাৰু যেন তেন। পিছে ৰাতিৰ আয়োজন দেখি আৰু মাথাটো গৰম হ'ল অভিমন্যুৰ। আকৌ তিতা কেৰেলা আৰু দালি। মেচৰ পৰা আহি ৰুমত ভোৰভোৰাই সোমালহি সি,

Kaushik

"এই সোপা গৰুৱেও নাখায়। সিহঁতৰ মূৰটো বনাইছে। মেচ মেনেজাৰ কেটাক কোবাব লাগে। পইছা কেইটা জেপত লৈ এইয়া খানা দিছে।"

ৰুমত প্ৰিয়ানুজৰ লগত তাৰ ক্লাছমেট দীপকো আছিল। দীপক শইকীয়া। যোৰহাটৰ ল'ৰা। গাঁৱত সৰুৰে পৰা ডাঙত হোৱা দীপক একেবাৰে পানীৰ দৰে সহজ সৰল। এই টাউনীয়া আওভাও একেবাৰে বুজি নাপাই সি। তাৰ এই সৰল স্বভাৱটোৰ বাবেই প্ৰিয়ানুজে নিজৰ লগতে লৈ ফুৰে তাক। অভিমন্যু আৰু প্ৰিয়ানুজৰ ৰুমটো দীপকৰ বাবে দ্বিতীয় ঘৰ। সি নিজে কাঞ্চনজংঘাৰ যদিও বেছি ভাগ সময় ইয়াতে কটায়। তাৰ সৰল মনটোৰ বাবে তাৰ লগত ধেমালি কৰি জোকাইও খুব ফুৰ্তি পাই অভিমন্যুহঁতে। এতিয়া অভিমন্যুয়ে এইদৰে গালি পৰা শুনিয়ে দীপকে ক'লে,

"ৰাম ৰাম, নেপাই নহয় বোপা। এনেকে নো গালি দিয়ে নে?"

"নিদি কি কৰিম? চাওঁক চোন ভাতৰ লগত কি দিছে।"

অভিমন্যুৰ কথাত দীপকে হাঁহি এটা মাৰি ক'লে,

"ৰ'বা, মই ব্যৱস্থা কৰি আছোঁ নহয়।"

এইবুলি প্ৰিয়ানুজলৈ চাই সি বিচনাৰ কাষতে থকা মোনাটোৰ পৰা আলুকেইটা মান উলিয়ালে। প্ৰিয়ানুজেও ৰুমত আনি থোৱা কণী তিনিটা উলিয়াই দীপকক দিলে। আলুকেইটা ধুই আনি দীপকে প্ৰিয়ানুজৰ পানী গৰম কৰা কেটলিটোত কণী কেইটাৰ লগত দি বহাই দিলে। তাৰ পাছত অভিমন্যুলৈ চাই ক'লে,

"আজি তোমাক এনেকুৱা কণী আলু পিটিকা খোৱাম হাত চেলেকি থাকিব লাগিব চাবা।"

তাৰ কোৱা ভাঁজটো দেখি প্ৰিয়ানুজ আৰু অভিমন্যু দুইটাৰে হাঁহি উঠিল। এনেবোৰ কামত দীপক সদায় আগত। কিছু সময়ৰ পাছতে দীপকে কেটলিটোৰ পৰা আলু আৰু কণীখিনি উলিয়ালে আৰু পকাতে বহি লৈ আলু বখলিয়াবলৈ লাগিল।

"প্ৰিয়ানুজ, মই আলু বখলিয়াইছোঁ তুমি কণী কেইটা গুচোৱা চোন।"

দীপকৰ কথাত প্ৰিয়ানুজ আৰু অভিমন্যুয়ে এক মূহুৰ্তৰ বাবে ইটোৱে সিটোলৈ চালে আৰু লগে লগেই জোৰেৰে শব্দ কৰি হাঁহি উঠিল। সিহঁতৰ মনত খেলোৱা অশ্লীল ভাৱটো দীপকেও অনুমান কৰিছিল। সেইবাবেই সি তাৰ স্বভাৱজাত সুৰত ক'লে,

kaushik

"ছি ছি, বৰ লেতেৰা ভাৱ লৈ ফুৰা দেই তোমালোকে।"

তাৰ কথাত হাঁহি হাঁহি বিচনাত বাগৰিল অভিমন্যু। প্ৰিয়ানুজে আৰু জোকাবলৈকে ক'লে,

"ইমান বেয়া কথা ক'ব নাপাই দেই দীপক।"

দীপক গোটেইটো হায় ঐ বিয়ৈ কৰি উঠিল,

"কি কথা কোৱা হে। মোৰ দৰে সতী হেন ল'ৰাটোক তোমালোকে এই বুলি ভাবিছা।"

হাঁহিৰ কোবত ৰ'ব পৰা নাই অভিমন্যু আৰু প্ৰিয়ানুজ। বিচনাৰ পৰাই অভিমন্যুয়ে সুধিলে,

"সতী হেন ল'ৰাটো নে কি?"

আকৌ হাঁহিৰ জোৱাৰ। দীপকে হাতত ধৰি টানি উঠাই আনিলে অভিমন্যুক,

"মই গুচাই মেলি দিলোঁ, এতিয়া তুমি পিটিকা।"

প্ৰিয়ানুজে বিচনাৰ পৰা চিঞৰিলে,

"অভিমন্যু, ভালকৈ পিটিকিবা দেই।"

আকৌ হাঁহি। তেনেতে দুৱাৰ খুলি ময়ূঁৰ সোমাই আহিল। ৰুমত আয়োজন দেখি প্ৰিয়ানুজক ক'লে,

"প্ৰিয়ানুজ দা, আলু পিটিকা মোক নিদিয়ে নেকি?"

প্ৰিয়ানুজৰ হৈ উত্তৰটো দীপকেই দিলে,

"আহা আহা, মই সৰহকৈ বনাইছোঁৱেই।"

ময়ূঁৰ বিচনাতে বহি ল'লে। প্ৰিয়ানুজে পিয়াঁজ খিনি কাটি অভিমন্যুলৈ আগবঢ়াই দিছিল। তেল, জলকীয়া আৰু নিমখ দি সানিব লৈছিল পিটিকা খিনি। ময়ূঁৰে তাক জোকোৱাৰ সুৰত ক'লে,

"অভি, জলকীয়া অলপ ভালকৈ মোহাৰিবি। মই জ্বলা হ'লে ভাল পাওঁ।"

অভিমন্যুয়ে খঙেৰে এবাৰ তালৈ চাই আকৌ কামত লাগিল। প্ৰিয়ানুজে মুখ টিপি হাঁহিলে। ময়ূঁৰে আকৌ ক'লে,

Kaushik

"আৰু শুন, মোৰ খিনিত পিয়াঁজ অলপ কমাই দিবি। আৰু তেল--"

এইবাৰ অভিমন্যুয়ে "চালা অৰ্ডাৰ দিছে শুন না। তোক আজি ৰহ" বুলি খেদি গ'ল। ময়ূঁৰো উঠি দিলে দৌৰ। সিহঁত ওলাই যোৱাৰ ফালে হাঁহি হাঁহি চাই প্ৰিয়ানুজে বাকী থকা কাম খিনি কৰিলে। ৰাতি ভাত সিহঁত চাৰিওটাই একেলগে খালে। অনুৰণে বিনোদৰ লগত আগতেই খাই দিলে। নহ'লে তালৈকো অভিমন্যুয়ে পিটিকা থৈ দিছিল। এই যে হোষ্টেলত নিজে কিবা এটা বনাই খোৱাৰ হেঁপাহ কণ, ইয়াৰ মজাই বেলেগ। তাতে দীপকে সঁচাই ধুনীয়া বনাইছিল পিটিকা। প্ৰিয়ানুজহঁতে ঠিক কৰিলে এদিন মাংসও বনাই খাব সিহঁতে এনেকৈ।

ভাত খাই অভিমন্যুহঁত ওলাই আহিল খোজ কাঢ়িবলৈ। মাজৰাতি ইউনিভাৰ্চিটী কেম্পাছৰ মাদকতা দুনাই কোৱাৰ প্ৰয়োজনেই নাই। ময়ূঁৰক মতাৰ সত্বেও নাহিল। দীপক, প্ৰিয়ানুজ আৰু অভিমন্যুয়েই আহিবলৈ ওলাল। তেনেকুৱাতে প্ৰিয়ানুজে তৌফিককো ফোন কৰি মতাই আনিলে। তৌফিক অহাৰ লগে লগে দীপকৰ অৱস্থা বেয়া। বেলেগ নহয়, বেচেৰাই ভূত বুলি ক'লে সাত হাত আঁতৰ আৰু তৌফিকৰ প্ৰিয় বিষয়েই ভূত। যিমানেই ছিৰিয়াছ আলোচনা নহওঁক কিয়, তৌফিকে ঘূৰাই পকাই হ'লেও ভূতলৈ আনিবই। সিদিনাও খোজকাঢ়োতে তৌফিকে ক'লে,

"এটা কথা গম পোৱা নে নাই, শৰাইঘাট হোষ্টেলৰ সিপাৰে এখন কবৰস্থান আছে। ৰাতি ৰাতি বোলে--"

শেষ নহওঁতেই দীপক জঁপিয়াই উঠিল,

"হেই হেই, এই ৰাতিখন কি এইবোৰ বস্তুৰ নাম লোৱা হে।"

প্ৰিয়ানুজে তৌফিকলৈ চাই চকুটিপ মাৰিলে। মানে আজি দীপকক গোটেই কেইটাই মিলি ল'ব। তৌফিকে দুগুণ উছাহেৰে আৰম্ভ কৰিলে,

"ৰাতি ৰাতি কবৰৰ ফালৰ ৰুমবোৰৰ দুৱাৰ হেনো নিজে নিজে খুলি যায়।"

দীপকে অভিমন্যুৰ গাত ধৰি ল'লে। খুব কষ্টেৰে অভিমন্যুয়ে নহঁহাকৈ থাকিল। কাঞ্চনজংঘাৰ সন্মুখ পাইছিল গৈ। ঠিক তেনেকুৱাতে প্ৰিয়ানুজলৈ ইংগিত দি অভিমন্যুয়ে দীপকৰ হাতখন জোৰেৰে এৰুৱাই "ঐ এইটো কি ঔ" বুলি পিছলৈ দৌৰ মাৰিলে। লগে লগে তৌফিক আৰু প্ৰিয়ানুজো দৌৰিল। এইফালে বেচেৰা দীপকে "ঐ, মোকো লৈ যা

Kaushik

ঐ" বুলি সিহঁতৰ পিছে পিছে দৌৰিছে। অভিমন্যুহঁত আধাতে ৰৈ গ'ল নীলাচলৰ সমুখত। কিন্তু দীপক দৌৰিয়ে আছে। প্ৰিয়ানুজ, তৌফিকৰ হাঁহি হাঁহি অৱস্থা নাই। অভিমন্যুয়ে হাঁহিৰ কোবত ৰাস্তাৰ মাজতে বহি গ'ল। উদং ৰাস্তাটোক সিহঁতৰ হাঁহিবোৰে সাৰ পোৱাইছিল। ইফালে দীপক গৈ একেবাৰে পাটকাইৰ বাছ ষ্টেণ্ড পালেগৈ। তাত লাইটটো আছে বাবে তাতে বহি হনুমান চালিচা মাতিবলৈ লাগিছে। প্ৰিয়ানুজহঁতে আহি যেনিবা ক'লেহি যে তাক জোকাবলৈহে সেয়া কৰিছিল। তাৰ পাছতে সিহঁতেই গৈ তাক কাঞ্চনজংঘাত থৈও আহিল। দীপকে খঙত অভিমন্যুক গালিও পাৰিলে,

"এনে বাঘৰ আগতেল খোৱা ল'ৰা ঔ এইটো।"

অভিমন্যুয়ে বেয়া নাপায়। দীপক দাৰ মৰমৰ ধমকিত সিও আপোনতা বিচাৰি পায়। দীপকক থৈ প্ৰিয়ানুজ আৰু অভিমন্যুও ৰুম পালেগৈ। এই মাজৰাতিৰ শিশুসুলভ ধেমালিবোৰেই সিহঁতৰ দিনৰ ভাগৰবোৰ নোহোৱা কৰে। পিছদিনা ব্যস্ততা মূৰ পাতি ল'বলৈ সাজু কৰে। সঁচাকৈ, TU ত ব্যস্ততা আছে, প্ৰেচাৰ আছে, মানসিক অশান্তি আছে। কিন্তু ইয়াতো জীৱন আছে, ইয়াতো নিচা আছে। বিচাৰিব জনাসকলে ইয়াতো সেউজীয়াৰ মাজত বিচাৰি ল'ব জানে জীৱন উদযাপনৰ অনন্য মালিতা। যিদৰে বিচাৰি লয় সন্ধ্যাই, বিচাৰি লয় অভিমন্যুয়ে, ময়ূঁৰে।

Kaushik

লাইটটো অফ কৰি শুবলৈ লৈছিল অভিমন্যু। প্ৰিয়ানুজৰ টোপনিত নাক বাজিছে। অভিমন্যুৰো চিলমিল টোপনি। তেনেকুৱাতে হঠাৎ তাৰ ফোনটো বাজিল। চকুকেইটা আধা মেলাকৈ চাই দেখে ঘৰৰ পৰা দেউতাকে কৰিছে। একে চাবে উঠি বহিল অভিমন্যু। এই মাজৰাতি দেউতাকৰ ফোন? ক'ৰবাত বুকুখনো ধপধপাই উঠিল। ফোনটো উঠাওঁতেই দেউতাকে ক'লে,

"অভি, আইতাৰৰ গাটো ভাল নহয়। তোক বিচাৰি আছে। একো অসুবিধা নাই যদি এবাৰ আহি যাবি নহ'লে।"

দুই এটা কথা পাতি দেউতাকে ফোনটো থ'লে। বুকুখনত বিষ এটাই খুন্দা মাৰিছেহি অভিমন্যুৰ। সি জানে আইতাক তাৰ বাবে কি। আইতাকৰ মাজত এজনী প্ৰিয় বান্ধৱী পাই আহিছে সি সদায়। হঠাৎ কিবা বুকুখন খালী খালী যেন লাগি গ'ল। দেৰি হৈছিল যদিও অভিমন্যুয়ে সন্ধ্যালৈ ফোন লগালে। তাই শুইছিল হ'বলা। টোপনিৰ জালতে মাত দিছে,

"ক অভি।"

"শুনচোন, মই কাইলৈ ঘৰ যাওঁ নেকি।"

"ঘৰ? কিয়?"

"আইতাৰ গাটো বেয়া। দেউতাই ফোন কৰিছে।"

জীৱনৰ কোনোবা ক্ষেত্ৰত খুব অনুভৱী মানুহো আত্মকেন্দ্ৰিক হৈ পৰে। সেইয়াই হৈছিল সন্ধ্যাৰ ক্ষেত্ৰতো। তাই ক'লে,

"কিন্তু পৰহিলৈ চোন মোৰ বাৰ্থদে। কাইলৈ গ'লে ক'ত তোৰ পৰহিলৈকে অহা হ'ব। বাৰ্থদেৰ পিছদিনা যাবি তাতকৈ।"

"আৰে, তোৰ বাৰ্থদেৰ পিছদিনাৰ পৰাই চোন আমাৰ ফাইনেল ছেম পৰীক্ষা। গতিকে কেনেকৈ যাম? আৰু বাৰ্থদেতো পাম বাৰু পাছত হ'লেও। কিন্তু আইতাৰ যে---"

তাৰ কৈ নহওঁতেই সন্ধ্যাই ক'লে,

"চা, তই বেছি পেনিক কৰিছ। এইটো বয়সত মানুহৰ বেমাৰ হয়েই। মুঠতে তই যাব নোৱাৰ।"

অভিমন্যুৰ মাতটো যেন থোকা থুকি হৈছিল,

"সন্ধ্যা বুজিবলৈ চেষ্টা কৰ। ঘৰৰ মানুহে মই যাম বুলি আশা কৰি আছে।"

"আশাটো মোৰ ঘৰৰ মানুহেও কৰিছিল অভি যে মই ৰাস নাচিবলৈ যাম। কিন্তু নগ'লো ন? আশাতো গোটেই সোৱণশিৰীয়ে কৰিছিল যে মই বিহু নাচিম। কিন্তু তোৰ কথা মানিয়েই নানাচিলোঁ ন? এতিয়া তোৰ নিজৰ ক্ষেত্ৰত যদি মোৰ কথা নুশুন, তেন্তে আৰু মোৰ ক'ব লগা একো নাই।"

অভিমন্যুয়ে বুজিলে, তাৰ কিছুমান ভুলৰ বাবেই প্ৰচণ্ড জেদী হৈ পৰিছে সন্ধ্যা। নহ'লে এই কথাটোত এনে প্ৰতিক্ৰিয়া সন্ধ্যাৰ দৰে এজনী ছোৱালীয়ে কেতিয়াও নকৰে। কিন্তু এই সময়ত সন্ধ্যাক বুজোৱাৰো কোনো উপায় নাই। সি একো নোকোৱা দেখি সন্ধ্যাই আকৌ ক'লে,

"একো নক'লি যে? ঠিকে আছে। নালাগে মোৰ কথা শুনিব। যা দে।"

অভিমন্যুয়ে লাহে লাহে কৈছিল,

Kaushik

"বিহু বুলিলে পাগল যিজনী ছোৱালীয়ে মাত্ৰ মোৰ কাৰণেই ঢোলৰ মাত শুনিও এটা আঙুলি নলৰোৱাকে ৰৈ আছিল, পৰীক্ষাৰ আগতো ৰাস নচা ছোৱালীজনীয়ে অকল মোৰ কথা মানিয়েই ৰৈ গৈছিল, সেই ছোৱালী জনীক আঘাত দি মই একো কাম নকৰোঁ সন্ধ্যা। মাত্ৰ ইমানেই কৈছোঁ মই আইতাক বহুত ভাল পাওঁ। খুব মনত পৰিছে অ' আইতালৈ।"

"জানো অ'। ইমান চিন্তা নকৰিবি একো নহয়। কাইলৈকে ভাল পাই যাব চাবি। যদি বেছি চিৰিয়াছ হয়, তেন্তে বেলেগ কথা বাৰু। এতিয়া শুই যা।"

"ঠিকে আছে দে।" বুলি ফোনটো কাটিলে অভিমন্যুয়ে।

বিজয়ীৰ হাঁহি মাৰিছিল সন্ধ্যাই। অভিমন্যুৰ প্ৰতি যেন এক জেদ সোমাই পৰিছিল তাইৰ মনত। আৰু লাহে লাহে সেই জেদেই গজালি মেলিছিল ভয়ংকৰ হৈ। সি যিদৰে তাই ভাল পোৱা কামৰ পৰা তাইক আঁতৰ কৰিছিল, সেইদৰে তাইও যেন তাক তাৰ ভাল লগা বস্তুৰ পৰা আঁতৰ কৰিব তেনেকুৱা এক প্ৰতিশোধমূলক ভাৱ আহি পৰিছিল। জেদত মানুহে নিজে গম নোপোৱাকৈয়ে এজন বেয়া মানুহলৈ পৰিণত হৈ পৰে। সন্ধ্যাৰো অনুমান নাছিল মাত্ৰ এটা জেদ পূৰাবলৈ তাই কি এক ভয়ংকৰ কাণ্ড কৰি পেলালে।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 84

"আইতাৰ কেনেকুৱা এতিয়া?"

ৰাতিপুৱাৰ দহ বজাৰ ব্ৰেকটোত কেন্টিনত কফি কাপ লৈ সন্ধ্যাই অভিমন্যুক সুধিলে। আজিকালি সিহঁতৰ একেলগে ক্লাছ খুব কমেই হয়। অভিমন্যুৰ BA BEd ৰ পেপাৰবোৰ বাঢ়ি অহাৰ বাবে বেছি ভাগ সময় সি এডুকেশ্যন ডিপাৰ্টমেন্টতে থাকে। সন্ধ্যাহঁতৰ লগত মাত্ৰ দুখন পেপাৰ হে। দিনটো অকল এটা ক্লাছহে হয়। কেতিয়াবা সন্ধ্যাৰ ক্লাছটোত বৰ খালী খালী লাগে। অকল সন্ধ্যাৰে নহয়, জুৰি প্ৰিয়াহঁতেও কয় "এই অভিমন্যুটো থাকিলেহে জমি থাকে অ'।" সন্ধ্যাই মিচিকিয়াই সকলোলৈকে চাই। হয়তো তাই বিচাৰে তাইক জোকাই কোনোবাই কিবা এষাৰ কওঁক। কিন্তু নকয়। আগৰ দৰে

কোনেও একো নকয় তাইক। অভিমন্যুৰ কথা লৈ একো নোজোকাইও। কিয় জানো, জোকাই থাকোঁতেই ভাল লাগিছিল চোন কিবা এটা।

"ৰাতিপুৱা দেউতালৈ ফোন কৰিছিলোঁ। কালিতকৈ আজি অলপ ভাল বুলি কৈছে।"

চিংৰাটোত কামোৰ মাৰি অভিমন্যুয়ে ক'লে। সন্ধ্যাই কফিত চুমুক দিছিল,

"সেয়া মই কৈছিলোঁ নে ভাল পাবই বুলি। তইহে নুশুন। ইমান দৌৰা দৌৰি তাৰ।" সন্ধ্যাৰ কথাত হুঁমুনিয়াহ এটা পেলাই অভিমন্যুয়ে কৈছিল,

"নাজানো আৰু। ঘপকৈ যদি কিবা এটা হয়--"

সন্ধ্যাই তাক শেষ কৰিব নিদি ক'লে,

"অভি, ইমান নিগেটিভ কিয় ভাবিছ? চাবিচোন ভাল হ'ব আইতাৰ।"

মূৰ দুপিয়ালে অভিমন্যুয়ে। এনেতে তাৰ চকুত পৰিল কেন্টিনৰ পৰা কফি লৈ কোনোবা ছোৱালী এজনীৰ লগত হাঁহি হাঁহি কথা পাতি আছে তৌফিক দাই। অভিমন্যুয়ে দেখিয়ে "অ' তৌফিক দা---" বুলি চিঞৰ মাৰিলে।

"হেই, কথা পাতি আছে। কিয় মাতিছ?"

সন্ধ্যাই ক'লে।

"একো নহয় ৰহ। কামোৰ দিওঁ অলপ তাক।"

অভিমন্যুয়ে কওঁতেই তৌফিক আহি সিহঁতৰ ওচৰ পালেহি। সন্ধ্যাই খালী চকী এখন আগবঢ়াই দিলে, "বহক।"

সি বহাৰ লগে লগে অভিমন্যুয়ে ক'লে,

"আপোনাৰ ডিপাৰ্টমেন্ট মাচকম হে। আপুনি হিউমেনিটিজৰ কেন্টিনত কি কৰি আছেহি মানুহটোৱে?"

সন্ধ্যাই মুখ টিপি হাঁহিছিল। তৌফিকে তাৰ বিখ্যাত সেঃ সেঃ কৈ হাঁহিটো মাৰি ক'লে,

"তোমালোকৰ কেন্টিনখনৰ কথাই বেলেগ হে। ইয়াত মায়া আছে, শান্তি আছে, নিচা আছে--"

Kaushik

তৌফিকৰ কথাত হাঃ হাঃ কৈ হাঁহিত ফাটি পৰিছিল সন্ধ্যা আৰু অভিমন্যু। হাঁহি হাঁহিয়ে সন্ধ্যাই ক'লে,

"এই মায়া, শান্তি, নিচাক বিচাৰি থকাতকৈ আচল এজনী গোটাই নলয়নো কিয়?"

"দিয়া চোন তুমিয়ে এজনী চাই।" তৌফিকে কৈছিল।

"ইচ, মই কাক চাম আকৌ। আপোনাৰ ভায়েক চোন হিউমেনিটিজৰ কৃষ্ণ বুলি চবেই জানে। কওঁক আকৌ তেওঁকে।"

সন্ধ্যাই অভিমন্যুলৈ ইংগিত কৰিলে। লগে লগে অভিমন্যুয়ে দুষ্টালিৰ হাঁহি এটা মাৰি তৌফিকলৈ চাই ক'লে,

"কি কয় তৌফিক দা? কৈ দিওঁ নি?"

বেচেৰা তৌফিক! সন্ধ্যাৰ আগত নক'বা বুলিও ক'ব নোৱাৰা হ'ল।

"কি? কোনোবা পচন্দ হৈছে নেকি?" সন্ধ্যাৰ কথাত অভিমন্যুয়ে ক'লে। সন্ধ্যাহঁতৰ হোষ্টেলৰে ছোৱালী এজনী বৰ পচন্দ হৈছে তৌফিকৰ। তাইকে চাবলৈ হিউমেনিটিজলৈ আহে। পিছে সি না তাইৰ নাম জানে না ডিপাৰ্টমেণ্ট। মাত্ৰ জানে যে তাই সোৱণশিৰীৰ আৰু হিউমেনিটিজৰেই কোনোবা এটা ডিপাৰ্টমেণ্টত আছে।

"কি কয় তৌফিক দা? আপুনি ইমান ৰোমান্টিক মানুহ বুলি জনাই নাছিলোঁ নহয়। এবাৰ মোক দেখুৱাই দিব, তাইৰ পূৰা বাইঅ' দাটা আনি দিম আপোনাক।"

সন্ধ্যাৰ কথাত লাজ লাজকৈ হাঁহিলে তৌফিকে। "বাৰু এতিয়া গৈ থাকোঁ দিয়া" বুলি উঠি গ'ল সি।

ব্ৰেক শেষ নোহোৱাত সন্ধ্যা আৰু অভিমন্যু তাতেই বহি কথা পাতি আছিল। কেন্টিণলৈ মানুহৰ আহ যাহ চলিয়ে আছে।

"বাই দা ৰে, কাইলে মোৰ বাৰ্থদেত কি দিবি?" সন্ধ্যাই সুধিলে অভিমন্যুক।

"যোৱাবাৰ দিয়া ম'ৰা পাখিটো আছে নাই?"

"আছে আছে। মাজতে সৰিছিল। আকৌ লগালোঁ। এইবাৰ কি দিবি ক।"

"এইবাৰ নাপাঁৱ একো। মাছ বৰশীত লগাৰ পাছত টোপ নিদিয়েতো।"

Kaushik

অভিমন্যুয়ে হাঁহি মাৰি ক'লে। লগে লগে সন্ধ্যা যেন খণ্ডত ফাটি পৰিছিল,

"হোৱাট ডু ইউ মিন? মই মাছ? তোৰ নিচিনা ফাল্টু মেনটেলিটীৰ ল'ৰাবোৰেই ছোৱালীক সদায় তলত ৰাখি থ'ব খোজে।"

অভিমন্যুয়ে ভবাই নাছিল যে তাৰ সৰু ধেমালি এটাৰ উত্তৰ সন্ধ্যাই এইদৰে দিব। আগতেও তাইক সি ধেমালি কৰে। উত্তৰ সন্ধ্যাই ধেমালিৰেই দিয়ে। কিন্তু সম্পৰ্কত অহাৰ পিছৰে পৰা তাৰ এটা ধেমালিও যেন তাই সহ্য নকৰা হ'ল। অৱশ্যে ইয়াৰ বাবে ক'ৰবাত সিও দোষী। সেইবাবেই একো নকৈ মনে মনে থাকিল। এনেতে দীপক আহি সন্ধ্যাহঁতৰ ওচৰ পালেহি খৰখোজেৰে। আহিয়েই সি অভিমন্যুক ক'বলৈ লাগিল,

"হ'ৰা অভিমন্যু, এই তোমাৰ মানুহজনীৰ ৰুমমেট জনী যে ; বৰ চটচটী ছোৱালী হে। একেবাৰে গাতে উঠেহি কথা ক'লে।"

তাৰ কথা শুনি অভিমন্যু আৰু সন্ধ্যা দুইটাৰে হাঁহি উঠিল। সন্ধ্যাই পথীৰ মুখত শুনিছিল দীপক নামৰ ল'ৰাটোৰ কথা। একেবাৰেই সহজ সৰল ল'ৰাটোক পথীহঁত দুজনীমানে জোকাই ধেমালি কৰে। আজিও চাগে তেনেকুৱাই কিবা। সন্ধ্যাই দীপকলৈ চাই ক'লে,

Kaushik

"মোৰ ৰুমমেট মানে পথী?"

"অঁ, পথী নে চৰাই সেইজনীয়েই।"

মুখেৰে ভোৰভোৰাই চকীতে বহিল দীপক। লগে লগেই কেন্টিনত সোমাই সিহঁতৰ ফালেই আহিল পথী। আহিয়েই তাই দীপকক মাতিলে,

"দীপু, দীপু। তুমি কিয় মোৰ পৰা আঁতৰি থাকা নো?"

কথাটো কৈ কৈ দীপকৰ বাহুটোত হাত ফুৰালে পথীয়ে।

"ছি ছি। কেনেকুৱা নাক কটা ছোৱালী অ'। আমাৰ গাঁৱত হোৱা হ'লে ৰাইজ মেল বহিলহেঁতেন।" দীপকে ভেকাহি মাৰিলে। পথীয়ে আগতকৈও লেনিয়াই ক'লে,

"দীপু, ব'লা না কফি একাপ খাওঁ।"

দীপক এইবাৰ গৰজি উঠিল,

"কি দীপু দীপু চিঞৰি আছা হে? আই পিতায়ে পোনা গোসাঁইৰ ওচৰত মঙল চোৱাই দিয়া নাম এটা আছে মোৰ। মাতিলে সেইটোৰে মাতিবা। আৰু এইবোৰ বিলাতী কফি অমুকাই নাখাই, ৰঙা চাহ খোৱা যদি আহিবা।"

কৈ কৈ দীপক উঠি গ'ল। এইফালে হাঁহি হাঁহি সন্ধ্যা আৰু অভিমন্যুৰ অৱস্থা তথৈবচ। দীপক যোৱাৰ পাছত পথীক সন্ধ্যাই ক'লে,

"কিয় জোকাই থাকনো অ' ল'ৰাটোক?"

"ভাল লাগে তাক কামোৰ দি।" পথীয়ে ক'লে।

"ভাল লাগে? কিবা কিবি হৈছে নেকি আকৌ?"

সন্ধ্যাৰ কথাত পথীয়ে কৈছিল,

"কি যে কথাবোৰ কঁৱ নহয়। প্ৰেমৰ বাহিৰে বেলেগ সম্পৰ্ক নাইয়ে নেকি আৰু পৃথিৱীত। মোৰ বাবে বন্ধুত্ব প্ৰেমতকৈ ওপৰত। প্ৰেমৰ নাম দি বন্ধুত্ব নেহেৰুৱাও মই।"

একো নভবাকৈয়ে কথাখিনি কৈ কেন্টিনৰ পৰা ওলাই গৈছিল পথী। সন্ধ্যা আৰু অভিমন্যুয়ে যেন ইটোৱে সিটোৰ মুখলৈ চাব পৰা নাছিল। কিয় জানো, পথীৰ কথাষাৰে সিহঁত দুইটাকে খুব বেছিকৈ চুই গৈছিল। অভিমন্যুৰ চকুলৈ নোচোৱাকৈ "যাওঁ দে, ক্লাছ আছে" বুলি ওলাই আহিছিল সন্ধ্যা। যেন তাই পলাইছিলহে তাৰ পৰা। মানুহৰ পৰা পলোৱাটোতো সহজ, কিন্তু জীৱনৰ পৰা পলাব পাৰি জানো!

Kaushik

"এই ৰুবীৰ ৰুমমেটক চিনি পাঁৱ নহয় তই?"

ক্লাছৰ পৰা আহি থাকোঁতে সন্ধ্যাক প্ৰিয়াই সুধিলে। ক্লাছৰ পৰা আগতে সিহঁত সদায় নিৰিবিলিৰ কাষৰ ৰাস্তাটোৰে আহিছিল। আজিকালি পিছে সেইফালেৰে নাহে। নতুন বিল্ডিঙত ক্লাছ হোৱাৰ পৰাই এই পুৰণি বিল্ডিঙৰ কাষেৰে পুখুৰীটোৰ পাৰে পাৰে শ্বৰ্টকাট মাৰি দিয়ে। তাৰ পৰা আহি একেবাৰে পবিতৰাৰ আগত ওলাইহি। পবিতৰাৰ কাষতেই কপিলী আৰু কপিলীৰ কাষত সোৱণশিৰী। খোজ কাঢ়ি আহিলে তিনি কি চাৰি মিনিটৰ বাট। কিন্তু সন্ধ্যাহঁতে কথা পাতি পাতি তিনি মিনিটৰ ঠাইত দহ পোন্ধৰ মিনিট কৰি দিয়ে। কতনো কথা আলোচনা হয় বাটে বাটে। মাজতে কাৰোবাক

লগ পালেতো হ'লেই। তাতো আকৌ এপৰ। আজিও সেইফালেৰে আহি থাকোঁতে পুৰণা বিল্ডিংটো পাৰ হৈ পুখুৰীটো পাৰ পাওঁতেই প্ৰিয়াই কথাটো সুধিলে তাইক। সন্ধ্যাই উত্তৰ দিলে,

"ৰুবীৰ ৰুমমেট মানে জেউতি যে, অঁ পাওঁতো। কিয়?"

"তাই আজি ডাইনিঙত তোৰ কথা কৈ আছিল। সন্ধ্যাই এইবাৰ নচা হ'লে বিহুৱতীতো হোষ্টেললৈকে আহিলেহেঁতেন। তাই নানাচিয়ে বেলেগক জিকালে।"

প্ৰিয়াৰ কথাত সন্ধ্যাই একো নকৈ তলমূৰ কৰি গৈ আছিল। প্ৰিয়াই আকৌ ক'লে,

"মোৰ খং উঠি গ'ল। শুনাই দিলোঁ অলপ টানকৈ। ইমান মন আছিল যদি নিজেই নাচিব লাগিছিল। সন্ধ্যাই নিশিকোৱা হ'লে বোলো পুৰস্কাৰটোও নাপালেহেঁতেন।"

সন্ধ্যাই এইবাৰ প্ৰিয়ালৈ চাই ক'লে,

"ধেৎ, কিয় তেনেকৈ ক'লিনো? তাইনো কি মিছা কথা কৈছে, চবেই ইমান আশা কৰি আছিল। আৰু মই--"

কিবা এটা বুকুখন গধূৰ কৰিছিল সন্ধ্যাৰ। তাই আধা কৈ ৰৈ যোৱাত প্ৰিয়াই তাইৰ বাহুত হাতটো থৈ ক'লে,

"হ'ব দেচোন। হৈ যোৱাবোৰ ভাবি নাথাক। মানুহৰ ভুল হয়েই আৰু।"

সিহঁত সোৱাণশিৰী পালেগৈ। প্ৰিয়া বাহিৰেই খাবলৈ মেচত সোমাল। সন্ধ্যাই অলপ দেৰিকৈ আহিম বুলি ৰুমলৈ আহিল। অলপ সময় বিচনাতে বহি আছিল তাই। কালি অভিমন্যুক ঘৰলৈ যাব নালাগে বুলি কৈ যিকণ অনুতাপ মনলৈ আহিছিল সেইকণো নোহোৱা হৈ গৈছিল তাইৰ। সকলোৰে সমুখত তাইক বহুত তললৈ নমাই দিলে সি। একমাত্ৰ ভালপোৱাৰ খাতিৰত তাই সকলো মানি লৈছিল। গতিকে সি তাইৰ এই কথাটোও মানিব নোৱাৰিব নে কিবা! জেদখিনি বুকুতে সজীৱ কৰি সন্ধ্যা মেচ পালেগৈ।

ৰাতিলৈ সন্ধ্যাৰ জন্মদিন। এইবাৰ ৰীণা বাহঁত নাই। গতিকে আগৰ বাৰৰ দৰে ভয় খোওৱাৰ দুষ্টালিও নাই। তথাপি পখী, প্ৰিয়া আৰু ভাস্বতীহঁতে ভালেই আয়োজন

কৰিছিল। কপিলীৰ পৰা মেঘালী আৰু পৰীও আহিছিল। সকলোৰে লগত কেক কাটি উৎপাতবোৰ কৰি ৰুমলৈ অহাৰ পাছত অভিমন্যুৰ ফোন আহিল,

"তললৈ আহ।"

তাই অহাৰ পাছতে সি তুলি দিছিল আন এটা কেক। ভিতৰলৈ গৈ খুলি চাই দেখে ৰঙা কেকটোৰ ওপৰত ক্ৰীমেৰে লিখা আছে, "Love you Sandhya"

পথীহঁতৰ লগত আকৌ সেই কেকটো কাটিবলৈ লাগিছিল সন্ধ্যাই। কেইদিন মান পিছৰ পৰাই সিহঁতৰ ফাইনেল পৰীক্ষা। সেইবাবে এইবাৰ বেছি দেৰি নকৰি লৰালৰিকৈ চব ৰুম গৈছিল গৈ। ফাইনেল পৰীক্ষালৈ যদিও হাতত কেইদিন মান আছিল, সন্ধ্যাহঁতৰ এইবাৰ বেছি পেপাৰ থকাৰ বাবে Assignment আৰু Presentation বোৰ এই মে' মাহলৈকে শেষ হোৱাই নাই। কিছুমান প্ৰফেচাৰলৈও থং উঠে আচলতে। সোনকালে দি এই জঞ্জালবোৰ শেষ কৰিব লাগে যাতে সিহঁতে ফাইনেল পৰীক্ষালে পঢ়াৰ সুবিধা পায়। কিন্তু নাই, তেওঁলোকে লেনিয়াই লেনিয়াই এই presentation সোপা ফাইনেল পৰীক্ষাৰ চাৰি পাঁচদিন আগলৈকে পোৱাবগৈ। কাইলৈ দিব লগা presentation ৰ আধৰুৱা কামখিনিয়ে দেৰিলৈকে কৰি সন্ধ্যা বিচনাত পৰিল।

জন্মদিনৰ আনন্দ আৰু পৰীক্ষাৰ ব্যস্ততাৰ মাজত সন্ধ্যাই বহুত সময়ৰ মূৰতহে দেখিছিল অনুৰণৰ মেচেজটো,

"Happy Birthday"

Kaushik

"ঐ, ব'লচোন এফালৰ পৰা আহোঁ।"

ৰুমতে লেপটপত কিবা পঢ়ি থকা ময়ূঁৰক অভিমন্যুয়ে ক'লে। ময়ূঁৰে আজিলৈকে পঢ়াৰ বাবে নোটছ বনাই পোৱাই নাই। আগতে অভিমন্যুৰ লগত একে পেপাৰ থাকোঁতে সি নিজৰ নোটছেই তাক দিছিল যদিও ময়ূঁৰৰ বাবে ইন্টাৰনেটেই সাৰথি। পৰীক্ষা সময় কেইদিন সেইবাবে ইন্টাৰনেটত "sparks notes", "enotes", "shmoop" এইবোৰ ৱেবচাইটেই তাৰ বাবে পাঠ্যক্ৰম সদৃশ হৈ পৰে। বহুক্ষেত্ৰত এই ৱেবচাইট কেইটাই শিক্ষাৰ্থীক বচাইও দিয়ে। তুমি গোটেই ছেমিষ্টাৰটো একো নপঢ়িও পৰীক্ষাৰ আগদিনাখন spark notes ত ছামাৰি চাই যোৱা আৰামত পাচ কৰি আহিব পাৰিবা। ময়ূঁৰেও এইটো পলিচীয়েই এপ্লাই কৰে।

এতিয়াও সি সেইবোৰেই চাই আছিল। তেনেতে অভিমন্যুয়ে লগ ধৰাত সি আহিব লগা হ'ল।

"ক'ত যাঁৱনো এতিয়া?"

বাটত ময়ূঁৰে সুধিলে। সি আচৰিতো হৈছিল। পৰীক্ষাৰ সময়ত কেতিয়াও অভিমন্যুয়ে লাইব্ৰেৰীৰ বাহিৰে না নিজে ওলাই যায়, না ময়ূঁৰক যাব দিয়ে। কিন্তু আজি কি হ'ল!

অভিমন্যুয়ে SOEৰ KFলৈ নিছিল ময়ূঁৰক। সেই অপেন ৰেস্তোঁৰাখনত পৰীক্ষাৰ বাবেই হ'বলা মানুহ মাত্ৰ দুটা এটাহে আছিল। ময়ূঁৰে গৈ দেখে তাত আগৰ পৰাই অনুৰণ আৰু সন্ধ্যা বৈ আছে। ময়ূঁৰ গৈ পোৱাৰ লগে লগে সন্ধ্যাই তাৰ ফালে কেকটো আগুৱাই দি ক'লে,

"Happy Birthday"

কেকটোত তাৰ নাম লিখা আছিল। ময়ূঁৰে এক মূহুৰ্তৰ বাবে অভিমন্যুৰ ফালে চালে। তাৰ পাছত "এইবোৰ ফাল্টু কাম মই বেয়া পাওঁ" বুলি আঁতৰি গুছি গ'ল। সন্ধ্যাহঁত কোনো আচৰিত হোৱা নাছিল। কাৰণ ময়ূঁৰে এইটো ব্যৱহাৰ কৰিব বুলি সিহঁতেও জানে। কিন্তু তথাপিও সিহঁতে চেষ্টা কৰিছিল। কালিয়েই ফোনত অভিমন্যু আৰু সন্ধ্যাই ঠিক কৰিছিল যে এইবাৰ সিহঁতে ময়ূঁৰৰ বাৰ্থদে পাতিব। অনুৰণকো কথাটো কোৱাত সিও আহিবলৈ ৰাজি হৈছিল। তেনেকৈয়ে এই আয়োজন। কিন্তু সিহঁতে জানিছিল যে ময়ূঁৰে এই আয়োজন একেবাৰেই ভাল নাপাব। ময়ূঁৰ গুছি যোৱাত সন্ধ্যাই অনুৰণ আৰু অভিমন্যুক তাতে ৰ'বলৈ দি তাৰ পিছে পিছে গ'ল। KFপাৰ হৈ SOEসেই গোল চ'কটো পাওঁতেই সন্ধ্যাই ময়ূঁৰক আগভেটি ধৰিলে,

"কিয় ময়ূঁৰ? মানুহে নিজৰ জন্মদিনটোও ইমান ঘিণ কৰেনে?"

"মই কৰোঁ। কাৰণ তুমি নাজানা যে---"

তাক শেষ কৰিবলৈ নিদিলে সন্ধ্যাই,

"মই জানিবও নোখোজো। মাত্ৰ এটাই কথা জানো যে মানুহে জীৱনটো এবাৰেই পায়। আৰু আমি যদি নিজৰ জীৱনটো অকল উদাস হৈয়ে কটাওঁ সেয়া তেওঁক অপমান কৰা হয়, যি আমাক এই জীৱনটো উপহাৰ হিচাপে দিলে।"

ময়ূঁৰে একো মাতা নাছিল। সন্ধ্যাই আকৌ ক'লে,

Kaushik

"ময়ূঁৰ, তুমিতো জানাই আজি মোৰো জন্মদিন। যদি তুমি আজি নিজৰ জন্মদিনটো চেলিব্রেট কৰা মোৰ কাৰণে এইটোৱে বেষ্ট গিফ্ট হ'ব। প্লিজ।"

সন্ধ্যাৰ কথাখিনি হয়তো যথেষ্ট আছিল। ময়ূঁৰে তাইলৈ চাই মূৰ দুপিয়াই হাঁহিলে। সন্ধ্যাই তাৰ হাতত ধৰি KFৰ ভিতৰলৈ লৈ গৈছিল। ভিতৰত অভিমন্যুয়ে হাঁহি হাঁহি কৈছিল,

"ৱাহ, আমাৰ কথা নুশুনেই ল'ৰাই।"

তাৰপাছত সিহঁত তিনিওটাৰ আগত কেক কাটিছিল ময়ূঁৰে। অভিমন্যুয়ে তাৰ মুখত ক্রীমৰ প্রলেপ লগাইছিল। ময়ূঁৰ দৌৰিছিল তাক সানিবলৈ। সন্ধ্যাই পিছফালৰ পৰা অনুৰণৰ গালতো ক্রীম সানি দিছিল। "অনুৰণ, তোমাৰ বডলা মই লৈছোঁ" বুলি অভিমন্যুয়ে সন্ধ্যাৰ গোটেই মুখতে ক্রীম লগাইছিল। বহুদিনৰ মূৰত ময়ূঁৰেও খোলাকৈ হাঁহিছে আজি। সঁচাই, সুখী হ'বলৈ মানুহক বহুত কিবাকিবি নালাগে। মনে মিলা কেইটা মান বন্ধুয়েই যথেষ্ট।

Kaushik

Assignment আৰু Presentation শেষ হৈ সন্ধ্যাহঁতৰ পৰীক্ষা আৰম্ভ হ'ল। প্রতিবাৰৰ দৰেই এইবাৰো একেই ব্যস্ততা, একেই জীৱন। উকা বাট পথ, উকা বতাহজাক। সকলোৰে চকু মুখত পৰীক্ষাৰ সংশয়।

এটা দুটাকৈ পৰীক্ষাবোৰ গৈ আছিল। শেষত মাত্র এটা পৰীক্ষা বাকী আছিল। তাৰ পাছতেই আকৌ দুমাহৰ বন্ধ। সেইদিনা আবেলি ঠিক চাৰিটা মান বাজিছে। বাহিৰত ৰান্ধনি বেলিটোৰ পোহৰখিনিয়ে ৰুমটো আৱৰিছেহি। সন্ধ্যাই পিছদিনাৰ Poetryৰ পেপাৰখন পঢ়ি আছিল ৰুমতে। তেনেকুৱাতে অভিমন্যুয়ে ফোন কৰিলে।

"অঁ অভি, ক।"

নোটটোত কিবা এটা শুদ্ধ কৰি তাই ক'লে। সি একো মাত দিয়া নাই। সন্ধ্যাই আকৌ সুধিলে, "ক আকৌ।" এইবাৰ তাৰ উচুপনি। সন্ধ্যাই পেনটো সামৰি থিয় হ'ল। কি হৈছে ইয়াৰ। বাৰে বাৰে সুধিলে তাই,

"অভি কচোন মোক। কি হৈছে?"

"আইতা---" তাৰ মাতটোত কান্দোন।

"কি হৈছে আইতাৰ? আকৌ গা বেয়া নেকি?" সন্ধ্যাৰ বুকুখন যেন ধপধপাইছে।

"আইতা গ'লগৈ।"

"কি---?"

বিচনা খনত ধমকৈ বহি গৈছিল সন্ধ্যা। অথনিৰ পৰা ফেঁকুৰি থকা অভিমন্যুয়ে এইবাৰ হুকহুকাই কান্দিছে। চকুৰে ধোঁৱা ধোঁৱা দেখিছে সন্ধ্যাই। মনত পৰিছিল তাইৰ কপালত চুমাটো খাই আইতা গৰাকীয়ে কোৱা কথাবোৰ,

"এদিন আমাৰ ঘৰলৈ আহিবা দেই।"

লগতে মনত পৰিছিল তাইৰ নিজে অভিমন্যুক কোৱা কথাটোও,

"মোৰ বাৰ্থদে আছে তই ঘৰ যাব নোৱাৰ।"

ছিহ্, জীৱনত প্ৰথম বাৰৰ বাবে নিজলৈকে ঘিণ লাগিছে সন্ধ্যাৰ। তাই ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰিলে। নিজৰ জেদ পূৰাবলৈ তাই এনেকুৱা এটা ভুল কৰি পেলালে যাৰ কোনো শুধৰণিও নাই। ভুল? নাই ভুল নহয়। তাই যি কৰিলে সেয়া অকল ভুল নহয়, সেয়া যে পাপ।

"এবাৰ নিৰিবিলিলে আহিবি নি?"

অভিমন্যুৰ কথাত সন্ধ্যা যেনেকৈ আছিল তেনেকৈয়ে দৌৰি ওলাই আহিল। বৈ অহা চকুপানীবোৰো মচিবলৈ পাহৰিছিল তাই। হোষ্টেলৰ পৰা নিৰিবিলিলৈকে কেৱল দৌৰিছিল। চুকৰ বেঞ্চখনত বহি থকা অভিমন্যুৰ কাষত বহি ঘন ঘনকৈ উশাহ ল'লে। বেলিটো আহি সন্ধ্যাহঁতৰ মুখতে ৰৈছেহি। সমুখৰ পুখুৰী টোত দুই এটা চৰাই।

"মোলে অলপো নৰ'লে অ' আইতা" বুলি জোৰকৈ কান্দি দিছিল অভিমন্যুয়ে। সন্ধ্যাইও ৰখোৱা নাছিল তাক। মাত্ৰ কান্দি কান্দিয়েই তাই ক'লে,

"মোক ক্ষমা কৰি দে অভি। মোৰ কাৰণেই তই শেষৰ সময়ত আইতাক লগ নাপালি। মই, কিয় ইমান বেয়া। কিয়?"

কান্দি কান্দি ভাগি পৰিছে সন্ধ্যা। তাইৰ হাতত ধৰি অভিমন্যুয়ে কিছু শান্ত হৈ ক'লে,

"ভুল তোৰ নহয় অ'। ভুল আমি দুইটাই কৰিলোঁ। ইমান ভাল সম্পৰ্ক এটা আমি বেলেগ মানুহৰ কথা শুনিয়েই প্ৰেমৰ নাম দি দিলোঁ।"

Kaushik

সন্ধ্যাই তালৈ চাইছিল। অভিমন্যুয়ে আকৌ ক'লে,

"তইয়ে ক, মোক প্ৰথম লগ পাওঁতে জানো তোৰ প্ৰেমৰ দৰে কিবা অনুভৱ হৈছিল?"

সন্ধ্যাই একো নক'লে। অভিমন্যুয়ে কৈ গৈছে,

"জীৱনটো কুছ কুছ হোতা হে্য নহয় সন্ধ্যা। যে প্ৰথমতে কাজিয়া হ'ব। তাৰ পাছত প্ৰেম। মই জানো মোক লগ পাই তোৰ একো অনুভৱ হোৱা নাছিল। কাৰণ মোৰো হোৱা নাছিল একো। হৈছিল তেতিয়া, যেতিয়া আমাক জোকাবলৈ ল'লে চবেই। হয়নে?"

সন্ধ্যাই মূৰ দুপিয়ালে। অভিমন্যুয়ে তাইৰ হাতখন নিজৰ হাতলৈ আনি ক'লে,

"সেইটো প্ৰেম নহয় সন্ধ্যা। আমি বুজা নাছিলোঁ। মানুহে সৃষ্টি কৰা এটা আকৰ্ষণক আমি প্ৰেম বুলি ভাবি থাকিলোঁ আৰু পৰিণতিত আমি আমাৰ আগৰ ভাললগা খিনি হেৰুৱালোঁ।"

সন্ধ্যা মাত্ৰ মৌন হৈ গৈছিল। মনৰ মাজত চলিব লৈছিল এজাক ঘূৰ্ণী বতাহ। অভিমন্যুয়ে আকৌ ক'লে,

"তইয়ে ভাব। কিয় আমি সেইদিনা ইমান কাষ চাপিও আঁতৰি আহিছিলোঁ? কিয় অশান্তি লাগিছিল আমাৰ? প্ৰেম যদি হ'লহেঁতেন মাত্ৰ এটা সৰু পৰশেও কঁপাই দিলে হয়।"

হঠাৎ চঁক খাই উঠিছিল সন্ধ্যা। কিয় জানো অভিমন্যুৰ কথাখিনিত কাৰোবাৰ মুখ এখন যেন ছয়ামযাকৈ ভাঁহি আহিছে মনলৈ। অভিমন্যুয়ে কৈ গৈছে,

"প্ৰেম বেলেগে জোকালে হোৱা বস্তু নহয়েই। প্ৰেম হ'বলৈ কোনেও জোকাব নালাগে। ভিৰৰ মাজতো তই তেওঁকেই বিচাৰি ফুৰিবি। বেলেগ কাষত থাকিলেও তোৰ মনত তেওঁৱে ঘূৰি থাকিব।"

কঁপি উঠিছিল সন্ধ্যা। অভিমন্যুৰ প্ৰতিটো কথাই কিয় এজনৰ নামেই তাইৰ মনলৈ আনিছে!

"আৰু চা, মই যিদৰে তোক মোৰ তলত ৰাখিব খুজি ভুল কৰিলোঁ। তইও সেইটো জেদ লৈ ল'লি। প্ৰেমত জানো জেদ থাকে? তোৰ মোৰ দৰে উৎপাত সঁচা বন্ধুত্বত থাকে, প্ৰেমত নহয়। প্ৰেমত থাকে লাজ, সংকোচ আৰু সন্মান এইবোৰহে।"

Kaushik

বাৰে বাৰে কঁপি উঠিছে সন্ধ্যা। হয়, অভিমন্যুয়ে কোৱা প্ৰতিটো বস্তুৱেই তাইৰ লগত হৈছে। কিন্তু সেয়াতো কেতিয়াও অভিমন্যুৰ লগত নাছিলেই। সেয়া যে অকল--।

"প্ৰেম জানি বুজি শিকি নকৰে সন্ধ্যা। প্ৰেম সদায় নজনাকে হয়। গম নোপোৱাকৈ। তই বাৰে বাৰে কোৱাৰ পাছতো মই বুজিবলৈ চেষ্টাই নকৰিলোঁ যে তই বিহু নাচি কিমান ভাল পাঁৱ। কিন্তু প্ৰেমত বুজাব নালাগে সন্ধ্যা। সকলো নোকোৱাকৈয়ে বুজা যায়।"

অনুৰণ...। অঁ, অনুৰণ। অভিমন্যুয়ে কোৱা প্ৰতিটো কথাৰ আঁৰত এই শান্ত মুখ খনেই মনলৈ আহিছিল সন্ধ্যাৰ। তাৰমানে তাই নিজেই ইমান দিনে বুজি পোৱা নাছিল যে তাই অনুৰণক ভাল পাইছিল। কি মূৰ্খ বাৰু তাই? নিজৰ মনটোকো ইমান নুবুজিলে নে?

"আমাৰ মাজত প্ৰেম কেতিয়াও নাছিল সন্ধ্যা। মোক ময়ূঁৰে কোৱাৰ পাছতো মই নামানিলোঁ। এতিয়া বুজিছোঁ, কিয় তোৰ আগৰ অভিমানবোৰ পিছলৈ মোৰ অশান্তি হৈছিল, কিয় মোৰ অধিকাৰবোৰ পিছলৈ তোৰ অসহ্য হৈছিল ; আচলতে আমি আমাৰ ফ্ৰেণ্ডশ্বিপটোও হেৰুৱাবলৈ গৈ আছিলোঁ। পুৰুষ আৰু নাৰীৰ মাজত অকল প্ৰেমহে হ'ব পাৰে বুলিতো ক'তো লিখা নাই। তেনে হোৱা হ'লে দ্ৰৌপদী আৰু কৃষ্ণৰ অমৰ বন্ধুত্বৰ উদাহৰণ কোনেও নিদিলেই হেঁতেন। হয় নে নাই ক?"

অভিমন্যুৰ কথাই চকু মুকলি কৰিছিল সন্ধ্যাৰ। চকুৰ টোপালকেইটা মচি দি অভিমন্যুয়ে ক'লে,

"এই বান্ধোনটোৰ পৰা আমি ওলাই যাওঁ ব'ল। উশাহ বন্ধ হৈ যাব মোৰ। আকৌ আগৰ দৰে ফুৰ্তি কৰিম আমি। তোক জোকাম। তই খং কৰিবি। মই বুজাম। কিন্তু প্ৰেম বুলি জোৰকৈ নাম দি তোক হেৰুৱাব নোৱাৰোঁ অ' মই।"

সন্ধ্যাই অভিমন্যুৰ হাতখনত ধৰি উচুপি উঠিছিল।

"তোৰ লগত আগতেও আছিলোঁ এতিয়াও থাকিম। কিন্তু প্ৰেমিক হিচাপে নহয়, সঁচা বন্ধু হিচাপে। এতিয়া এই গাৰ্লফ্ৰেণ্ড নামটোৰ পৰা ওলাই মোৰ আগৰ বেষ্ট ফ্ৰেণ্ড সন্ধ্যাজনী হৈ এবাৰ মোক মৰম কৰ না অ'। খুব অকলশৰীয়া হৈ গ'লো মই আজি।"

অথনিৰে পৰা শান্ত হৈ বুজাই থকা অভিমন্যু এইবাৰ যেন আকৌ ভাঙি পৰিল। হুকহুকাই কান্দিছিল সি। সন্ধ্যাই সাৱটি লৈছিল তাক জোৰকৈ। সিও জোৰেৰে

Kaushik

সোমাইছিল তাইৰ বুকুত। ভুল বুজাবুজিবোৰ আঁতৰি গৈছিল। আঁতৰিছিল কুঁৱলীৰ মায়াজাল। জেদবোৰ শেষ হোৱাৰ লগে লগে উভতিছিল মৰমবোৰ। কিছু সময় সন্ধ্যাই বুজোৱাৰ পাছত অভিমন্যুও শান্ত হ'ল। সন্ধ্যাই তাক পিছদিনাই যাবলৈ কৈছিল যদিও সি ক'লে,

"একেবাৰে বাকী থকাটো দিয়ে যাম। আইতায়ে নাই যেতিয়া--"

"কোনে কৈছে আইতা নাই? আইতা সদায় তোৰ লগত আছে।" সন্ধ্যাই ক'লে।

অভিমন্যুয়ে চকুপানী মচি ক'লে,

"আইতাই যোৱাৰ আগতো মোৰ সহায় কৰি গ'ল চা। মোৰ এই ভুল বুজাবুজিতো আইতায়ে আঁতৰ কৰাৰ নিচিনা হ'ল। নহ'লে জেদবোৰ বাঢ়ি গৈ গৈ তোক এদিন হেৰুৱালোঁহেঁতেন।"

সন্ধ্যাই হঁহাৰ দৰে কৰি ক'লে,

"আমি আগৰ নিচিনাকৈ থাকিম। মোক জোকাবি, মই খং কৰিম। তেনেকৈ।"

কিছু সময় কথা পাতি উঠি আহিল সিহঁত। বেলিটো গৈছিলগৈ আকাশখন ৰাঙলী কৰি। সন্ধ্যাহঁত আহে মানে এন্ধাৰ হৈছিল। সোৱণশিৰীৰ ওচৰ পাই সন্ধ্যাক অভিমন্যুয়ে ক'লে,

"তেন্তে এই গৰম খবৰটো ৰাইজক তই দিবি নে মই দিম?"

সন্ধ্যাই বুজি নোপোৱাত সি আকৌ ক'লে,

"আৰে আমাৰ ব্ৰেক আপৰ খবৰটো।"

সন্ধ্যাই হাঁহি মাৰি কৈছিল,

"মানুহে সুধিলে ক'বি আমাৰ ফ্ৰেণ্ডছিপৰ পেটছ আপ হ'ল।"

অভিমন্যুয়েও হাঁহিলে। বহুদিনৰ মূৰত সি সন্ধ্যাৰ ওচৰত খোলাকৈ হাঁহিছে হয়তো তাইও।

"যা এতিয়া। মনটো বেয়া লাগিলে ফোন কৰিবি।"

Kaushik

মূৰ দুপিয়াই অভিমন্যু পাটকাইলৈ গৈছিল গৈ। আইতাক গ'লগৈ। কিন্তু যোৱাৰ সময়তো যেন মনটো খুলি থৈ গ'ল তাৰ।

অথনিৰে পৰা বহু চেষ্টা কৰিও টোপনি অহা নাই সন্ধ্যাৰ। প্ৰেমত পৰাতকৈও প্ৰেমত পৰিছোঁ বুলি বুজি পোৱাৰ অনুভৱটো যেন অধিক ৰোমাঞ্চকৰ। অথনিৰ অভিমন্যুৰ কথাবোৰেই মনত পৰিছে তাইৰ। হয়তো, অভিমন্যুৰ পৰশত কোনোদিনেই কঁপি উঠা নাছিল তাই। কিন্তু অনুৰণ মাত্ৰ এটা স্পৰ্শতে কুঁৱলীৰ দৰে ঠেৰেঙা লাগে সন্ধ্যা। অভিমন্যুলৈ কোনো দিন লাজো লগা নাই। কিন্তু কোনোবা মূহুৰ্তত চোন অনুৰণৰ চকুলৈও চাব নোৱাৰে। বস্তুবোৰ যেন পৰিস্কাৰ হৈছিল সন্ধ্যাৰ চকুত। হয়, অনুৰণক ভাল পাই তাই। ক'ব নোৱাৰাকৈ ভাল পায়। সেইবাবেই চাগে অভিমন্যুৰ লগত মন্দিৰলৈ গৈও অনুৰণৰ হৈ চাকি জ্বলাইছিল, অভিমন্যুৰ কাষত থাকিও অনুৰণক বিচাৰি ফুৰিছিল। হয়, প্ৰেমত কেতিয়াবাই পৰিছিল সন্ধ্যা। মাত্ৰ বুজা নাছিল। আজি বুজিছে। আৰু তাই অনুৰণৰ আগতো ক'ব কাইলৈকে। ভালপোৱাবোৰ বুকুত হেঁচি নথয় আৰু তাই। সি বুজিবনে? বুজিব চাগে। তাইকতো সি চবতকৈ বেছিকৈ বুজে। হেঁপাহৰ দলিছা খন অনুৰণ অনুভৱটোৰে সজাইছে সন্ধ্যাই আজি। বহুদিনৰ পৰা বুকুত বাজি থকা সুৰটো আজি চিনি পাইছে। যিমানেই তাৰ কথা ভাবে উশাহবোৰ চোন কিবা বাঢ়ি আহিছে। কিয় জানো মুখত যেন হাঁহি এটা নুগুছাই হ'ল সন্ধ্যাৰ। নাই, সন্ধ্যা আৰু নৰয়। তাই ক'বই অনুৰণক কাইলৈ। কিন্তু সি তো তাইক কেৱল বান্ধৱী বুলি হে ভাবে। ভাৱক, সি তেনেকৈয়ে লাগিলে ভাৱক। কিন্তু তাইতো ভাল পায়। নিজৰ সকলো কথাই তাই অনুৰণৰ আগত কয়। গতিকে এইটোনো লুকুৱাবনে! কাইলৈ পৰীক্ষা শেষ হোৱাৰ পাছতে তাই নিজেই ক'ব তাক। এবাৰ অনুৰণে দিয়া ম'ৰা পাখিৰ পেইন্টিং খন নমাই আনিলে সন্ধ্যাই। বুকুত সাৰটি লৈছিল জোৰেৰে। চকুযোৰ মুদি দিওঁতে তাৰ মুখখনেই আহিছিল মনলৈ।

তাই কাইলৈ যেতিয়া অনুৰণৰ আগত কথাখিনি ক'ব, কি কৰিব বাৰু সি? সদায় হোৱাৰ দৰে লাজত মুখখন ৰঙা হৈ যাব নে তাৰ? নে চকুত হাঁহি এটা লৈ "ঐ ছোৱালী" বুলি জোকাব তাইক?

"অনুৰণ"

Kaushik

নামটো এবাৰ মাতি চকুকেইটা মুদি দিলে সন্ধ্যাই। মনত ভাঁহি উঠিছিল শান্ত হাঁহিৰ চকু এযোৰ। কাষৰ ৰুমত লগাই থোৱা গানটো কাণত পৰিছিলহি,

"হেঁপাহৰে দলিছাতে

মোৰ সপোনে আঁকে তোমাকে

হৃদয়ৰে চিনাকিৰে

মাতোঁ তোমাকে বাৰে বাৰে

লাহে লাহে বয় বুকুৰে মাজত প্ৰণয়ৰে নৈ

ঘনে ঘনে কৈ উশাহো বাঢ়ে ভাৱনাতে ৰৈ

অনুৰাগ তোমাৰ বাবে..........."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 85

সূৰ্য্যাস্ত মানে সমাপ্তি নহয়। ইয়াৰ অৰ্থ অপেক্ষা, এটা নতুন পুৱালৈ। নীলাচলৰ আগত ৰৈ ফিল্ডখনৰ সমুখত এবাৰ অস্ত যোৱা বেলিটোলৈ চাইছিল অভিমন্যুয়ে। নীলাচলৰ পুলটোতে ময়ূঁৰ বহি আছিল। তাৰ কাষতেই অভিমন্যুও বহিল।

"লগ কৰিলি তাইক?" ময়ূঁৰে সুধিলে।

"উম।"

"ঠিক হ'ল চব?"

ময়ূঁৰৰ প্ৰশ্নটোত অভিমন্যুয়ে ওলোটাই তাক সুধিলে,

"তই মোক কেনেকৈ ইমান বুজি পাঁৱ অ'? অকল মোকেই নহয়, তই চব মানুহকে ইমান কেনেকৈ বুজি পাঁৱ?"

উত্তৰত ময়ূঁৰে মাত্ৰ হাঁহিছিল। অভিমন্যুৰ মনত পৰিছিল কিছু সময়ৰ আগৰ কথাবোৰ।

পঢ়ি থকাৰ মাজতে ময়ূঁৰৰ ৰুমলৈ উঠি আহিছিল অভিমন্যু। পেপাৰ বেলেগ হ'লেও পিছদিনা পৰীক্ষা থাকিলে এবাৰ ময়ূঁৰৰ খবৰ লোৱাটো অভিমন্যুৰ বাবে অভ্যাসৰ দৰেই। ময়ূঁৰেও যে সি আহি কৰি থাকিলেহে পঢ়াত মন দিয়ে সেইটো অভিমন্যুয়েও জানে। নহ'লে কোন সময়ত পঢ়া বাদ দি উপন্যাস মেলিব ঠিক নাই।

দুইটাই কথা পাতি থকাৰ মাজতেই অভিমন্যুৰ দেউতাকে ফোন কৰি দিছিল খবৰটো,

"আইতাৰ গ'লগৈ।"

ফোনটো দলিয়াই দিছিল ৱাললৈ সি। "আ---ই--তা" বুলি চিঞৰি উঠিছিল। সদায় তাক চম্ভালি থকা ময়ূঁৰেও পৰা নাছিল। হাত ভৰি আচাৰি বাগৰি পৰিছিল সি মাটিত। শেষলৈ ময়ূঁৰে জোৰেৰে সাৱটি লৈছিল তাক। কঁপি কঁপি ৰৈ গৈছিল সি। মাত্ৰ কিছু সময়। তাৰ পাছতে গৰজি উঠিছিল,

"চব তাইৰ কাৰণে হৈছে। তাইয়ে যাব নিদিলে মোক। তাইক সুদাই নেৰোঁ মই। মোৰ, মোৰ আইতাক উভতাই দিব লাগিব সন্ধ্যাই।"

কথাখিনি কৈ ৰুমৰ পৰা দৌৰি ওলাবলৈ লৈছিল অভিমন্যু। ময়ূঁৰে জোৰকৈ টানি ৰখাই দিছিল তাক।

"খঙত মানুহে কেতিয়াও সিদ্ধান্ত নলয় অভি।"

"বাদ দে। চব তাইৰ কাৰণে---"

"তাইৰ কাৰণে নহয়, তোৰ কাৰণে।" ময়ূঁৰে চিঞৰি কৈছিল,

"মনত আছে তোক কি কৈছিলোঁ মই? যে তাইক মুক্তি দে আৰু নিজেও মুক্ত হ। কিন্তু শুনিছিলি মোৰ কথা? বাৰে বাৰে কৈছিলোঁ মানুহৰ কথা শুনি ঢৌত উটি নাযাবি। ভালপোৱাৰ কথা কঁৰ তহঁতে। কি জান ভালপোৱাৰ কথা? উৎপাত, চিঞৰ বাখৰ, জোকোৱা এইবোৰেই কি প্ৰেম? এইবোৰক প্ৰেম বুলি ভাবিলে শেষত এই জেদ, খং এইবোৰেই পাবি। নিজক সোধ, কেতিয়াবা সন্ধ্যা কাষত থাকিলে কিবা অনুভৱ হৈছিল নে? নাই হোৱা, মই জানো। তাইৰো নহয়। কিন্তু অনুভৱতকৈ অনুমানক

Kaushik

বেছি গুৰুত্ব দিলে এইটো হ'বই। আজি তাইক দোষ দিছ, কিন্তু বেলেগৰ কথা শুনি হ'লেও আৰম্ভণি তইয়ে কৰিছিলি। আৰু তাইও তোক শুধৰাবলৈ চেষ্টা নকৰি জেদত একেই কৰিলে। ভুল অকল এটাৰ নহয়।"

ময়ূঁৰে চিঞৰি কোৱা কথাখিনিত অভিমন্যু ৰৈ গৈছিল। মূৰত পাকঘূৰণি খাইছিল কথাবোৰ। অনুভৱৰ ওচৰত পৰাজয় হৈছিল অনুমানৰ। সি নাজানে কিমান সময় তাত বহি আছিল। এসময়ত ময়ূঁৰ কাষলৈ আহি তাৰ বাহুত হাত থ'লে,

"হোৱাবোৰ হৈ গ'ল। থকাবোৰ শেষ হ'বলৈ নিদিবি।"

লগে লগেই অভিমন্যু উঠি গৈছিল নিৰিবিলিৰ ফালে।

ময়ূঁৰৰ বুজনিয়ে অভিমন্যুৰ উপলব্ধি আনিছিল। তাৰ ফলতেই শেষ হোৱাৰ পৰা যেন ৰৈ গৈছিল অভিমন্যু আৰু সন্ধ্যাৰ বন্ধুত্ব। সঁচাই অভিমন্যুয়ে অনুভৱ কৰিছিল, প্ৰেম কি বুজাৰ আগত বন্ধুত্ব কি তাক জনাটো দৰকাৰ। ময়ূঁৰে তাক বন্ধুত্বৰ সংজ্ঞা শিকাইছিল। সি সন্ধ্যাক বুজাইছিল প্ৰেমৰ পৰিভাষা। নিজকে কথা দিছিল অভিমন্যুয়ে, উৰেতো জীৱন সি সন্ধ্যাৰ কাষত থাকিব এজন সঁচা বন্ধু হৈ।

"ব'ল, ৰুম যাওঁ। পৰীক্ষা আছে কাইলৈ।"

ময়ূঁৰৰ লগত অভিমন্যু পাটকাই পালেহি। ৰাতি ভাত খাইও পঢ়াত মন বঢ়াব পৰা নাছিল সি। বাৰে বাৰে আইতাকৰ মুখখনে আমনি কৰিছিল। তাৰ মনটোৰ অৱস্থা অনুমান কৰিয়ে ময়ূঁৰ আৰু অনুৰণ অলপ সময় তাৰ ওচৰত আছিলহি। অনুৰণে আনকি নিজৰ লেপটপ অভিমন্যুৰ ৰুমলৈকে আনি তাতেই পঢ়িছিলহি। একো কথা নাপাতিলেও অভিমন্যুক অকলে এৰা নাছিল সি। কিন্তু এতিয়া বিচনাত পৰাৰ পাছত যেন আকৌ মনলৈ আহিছে আইতাকৰ হাঁহিটো। সঁচাই ইমান নিষ্ঠুৰ নে মৃত্যু? নাই বুলি ক'লেই নাই। শূণ্যতা। ফোনটো বাজিল। ময়ূঁৰে কৰিছে। একো ক'ব নাপাওঁতেই সি ক'লে,

"চকু কেইটা জোৰকৈ মুদি শুই যা।"

আচৰিত এই ময়ূঁৰ। লগত নথকাকৈও গম পাইছে তাৰ অৱস্থাটো। লাহে লাহে টোপনিৰ কোলাত পৰিছিল সি।

Kaushik

আজি পুৱাৰে পৰা সন্ধ্যাৰ মনটো কিবা উখল মাখল হোৱাৰ দৰে হৈছে। এনেয়ে শেষ পৰীক্ষা বুলি ঘৰলৈ যোৱাৰ উছাহ, তাতে অনুৰণক কথাটো কোৱাৰ হেঁপাহ। তাইৰ মুখত লাগি থকা হাঁহিটো পখীয়েও মন কৰিছিল। সেয়ে তাই সুধিলে,

"কি হ'ল অ'? মানুহৰ ব্ৰেক আপ হ'লে দুখ হয়, তোৰ দেখোন হাঁহি নুগুছাই হ'ল।"

পখীক কালি ৰাতি কথাখিনি কৈছিলহি সন্ধ্যাই। অভি আৰু তাইৰ সিদ্ধান্তক ছেল্যুট দি কৈছিল পখীয়ে,

"মানিছোঁ সন্ধ্যা। বহুতে এই কথাটো ৰিয়েলাইজেই নকৰে। আৰু যেতিয়া কৰে বহুত দেৰি হৈ যায় যাৰ বাবে ফ্ৰেণ্ডছিপটো শেষ হৈ যায়। কিন্তু তহঁতে একদম ঠিক সময়ত লৈছ ডিচিছনটো।"

সেইবাবে এতিয়া সন্ধ্যাক এনেকৈ থকা দেখি পখীয়ে সুধিছিল। সন্ধ্যাই উত্তৰত সেই সময়ত খুব জনপ্ৰিয় হৈ থকা গানৰ কলি এটা গাই দিলে,

"Dil pe patthar rakh ke

Munh pe makeup kar liya"

Kaushik

পখীয়ে এনেকুৱা সুযোগ বিচাৰিয়ে ফুৰে। আজি সন্ধ্যা পূৰা মুডত আছে বুলি জানি তাইও উঠি আহি ধৰিলে,

"Oh dil pe patthar rakh ke

Munh pe makeup kar liya"

তাৰ পাছত দুইজনীয়ে একেলগে নাচি নাচি চিঞৰিবলে লাগিল,

"Mere saiyyan ji se aaj

Maine breakup kar liya

Subah savere uth ke maine

Ye sab kar liya

Mere saiyyan ji se aaj

Maine breakup kar liya"

সিহঁতৰ চিঞৰৰ কোবত কাষৰ ৰুমৰ পৰা পল্লৱী পালেহি,

"ঐ, কিহে পালে তহঁতক ৰাতিপুৱাই?"

তেতিয়াহে সন্ধ্যাইও ভাবিলে কথাটো। ধেৎ কি কৰি আছে বাৰু সিহঁতে। পল্লৱীয়ে আকৌ ক'লে,

"সন্ধ্যা, এই পখীৰ লগত থাকি থাকি তইও দিনে দিনে বেয়া হৈ গৈছ।"

"লাহে লাহে চাৰা সোৱণশিৰীক এনেকুৱা বনাই দিম বুইছা।"

পখীয়ে হাঁহি হাঁহি ক'লে। পখীলৈ ঘোঁচা এটা টোঁৱাই পল্লৱী ওলাই গ'ল। সন্ধ্যাও ব্ৰেকফাষ্টৰ বাবে ডাইনিং ৰুম পালেগৈ।

এনেয়ে ক্লাছ কৰিবলৈ একে হোষ্টেলৰ ছোৱালী কেইজনী লগ হৈ যায় যদিও পৰীক্ষাৰ কেইদিন সদায় সন্ধ্যাহঁত আটাইকেইজনী একেলগে যায়। বেলেগ কাৰণ নাই, কিন্তু গোটেই কেইজনী লগ হ'লে পৰীক্ষাৰ চাপটো অলপ কমি যায়। কোনে উলিয়ালে জানো এইটো নিয়ম, চলিয়ে আহিছে তেনেকৈ। আজিও সোৱণশিৰীৰ পৰা প্ৰিয়া আৰু সন্ধ্যা, কপিলীৰ পৰা মেঘালী আৰু পৰী, প্ৰাগজ্যোতিকাৰ পৰা নিমিষা, সীমা আৰু জুৰি আটাইকেইজনী লগ হৈ গৈ আছিল। আজি এনেই শেষ পৰীক্ষা, গতিকে কাৰো পৰীক্ষাত মনেই নাই। তাতকৈ কেতিয়া ঘৰ যাব, পেকিং হ'ল নে এইবোৰহে আলোচনা। পুৰণা বিল্ডিংৰ পুখুৰী পাইছিল গৈ সিহঁত। এনেতে সিহঁত জাকৰ সমুখেৰে কোনোবা ল'ৰা এটাৰ চাইকেলত উঠি প্ৰাগজ্যোতিকাৰ ৰশ্মি পাৰ হৈ গ'ল। লগে লগেই জুৰিয়ে মুখ কোঁচাই ক'লে,

"এইজনী যে কম নহয় দেই। ইমান সিয়ান বুলি ভবাই নাছিলোঁ।"

"কিয়? কি হ'লনো?" সন্ধ্যাই সুধিলে।

"ইয়ে, তই গম নাপাঁৱ নেকি? তাইৰ আগৰ বয় ফ্ৰেণ্ডটোৰ লগত ব্ৰেক আপ হ'ল নহয়।" সীমাই কথাটো এনেকৈ ক'লে যেন ৰশ্মিৰ ব্ৰেক আপৰ কথা নজনাটো ডাঙৰ ভুল। এইবাৰ প্ৰিয়াই সুধিলে,

"সেইটোনো কি ডাঙৰ কথা? ব্ৰেক আপহে দিছে, মাৰ্ডাৰ কৰা নাইতো।"

লগে লগে এইবাৰ মেঘালীয়ে মাতিলে,

Kaushik

"আৰে নহয়, তাই ব্ৰেক আপ দিয়াৰ দুদিনো নহ'ল নতুন এটাৰ লগত ৰিলেশ্যনত আহিলেই।"

"আহিব পাৰে, তাইৰ ভাল লাগিল চাগে।"

সন্ধ্যাই কথাটো কোৱাৰ লগে লগে জুৰিয়ে ভেকাহি মাৰি ক'লে,

"থ হেৰৌ। ব্ৰেক আপ হোৱাৰ পিছদিনাই আকৌ নতুন ল'ৰা পাই, সেইখন হৃদয় নে বয়জ হোষ্টেল অ'?"

লগে লগে গোটেই কেইজনীয়ে গিৰ্জনি মাৰি হাঁহিলে। সিহঁতৰ হাঁহিত ৰাস্তাৰে অহা যোৱা কৰা মানুহেও ঘূৰি চাই গৈছিল। কিন্তু কিয় জানো হাঁহিব পৰা নাছিল সন্ধ্যাই।

"আচলতে মোৰ মতে কি জান? ৰশ্মিয়ে এই ল'ৰাটোক আগৰ পৰাই ভাল পাই আছিল। সেই কাৰণে পুৰণা বয়ফ্ৰেণ্ডটোক দুদিন মান লুটি লৈ এৰি দিলে।"

সীমাৰ কথা হয়ভৰ দি পৰীয়েও ক'লে,

"একদম ঠিক কৈছ। এনেকুৱা ছোৱালীবোৰে গোটেই ছোৱালী জাতিকে বদনাম কৰে। কাপোৰ সলোৱাদি ল'ৰা সলাব আৰু ক'ব অল মেন আৰ চেম।"

পৰীৰ শেষৰ কথাষাৰৰ সুৰটোত আকৌ হাঁহিৰ জোৱাৰ। সন্ধ্যাই এইবাৰো হাঁহিব নোৱাৰিলে। অলপ আগলৈকে ৰ'দে হাঁহি থকা তাইৰ মনটোত যেন হঠাৎ গুজৰি গুমৰি কলীয়া ডাৱৰ এটুকুৰাই ঘেৰি লৈছে। কথা পাতি থকাৰ বাবে কোনেও সন্ধ্যালৈ মন কৰা নাছিল। এনেতে ডিপাৰ্টমেণ্ট গৈ পোৱাত সিহঁতৰ কথা পতা বন্ধ হ'ল।

ফাইনেল বেল মৰা নাই বাবে ডিপাৰ্টমেণ্টৰ সমুখতে সকলোৱে ৰৈ আছিল। কোনোবাই আড্ডা মাৰিছিল, কোনোবাই বেগত অনা কিতাপ নাইবা বহীতে চকু ফুৰাইছিল। ছোৱালীবোৰৰ ভিতৰত এতিয়ালৈকে কোনেও গম পোৱা নাছিল যে সন্ধ্যা আৰু অভিমন্যুৰ ব্ৰেক আপ হ'ল। কিন্তু ডিপাৰ্টমেণ্টত কোনে কথাটো উলিয়ালে জানো, গোটেইখন তল ওপৰ হৈ আছে। জুৰিহঁত বিল্ডিংটোৰ ভিতৰলৈ সোমাই গৈছিল যদিও সন্ধ্যা চাইকেল ষ্টেণ্ডটোৰ সমুখৰ ছাঁ পৰি থকা ষ্টেপকেইটাতে বহি নোটবুকখনত চকু ফুৰাই আছিল। এনেতে জুৰিয়ে ভিতৰৰ পৰা দৌৰা দৌৰিকৈ আহি সুধিলে,

"ঐ, ভিতৰত শুনিলোঁ তোৰ আৰু অভিমন্যুৰ বোলে ব্ৰেক আপ হ'ল। সঁচা নেকি?"

Kaushik

সন্ধ্যা আচৰিত হৈছিল। বাপ ৰে, এই ফাইনেল পৰীক্ষাৰ সময়তো মানুহৰ কথা পতাৰ টপিক শুনচোন। তথাপি জুৰিক একো নকৈ হাঁহি এটা মাৰি "উমম" বুলি ক'লে।

"সন্ধ্যা, কষ্ট হৈছে ন তোৰ? বাহিৰে আমাক দেখুৱাই হাঁহি আছ ন?"

জুৰিৰ কথা শুনি হাঁহি উঠিল সন্ধ্যাৰ। হাঁহি হাঁহিয়ে তাইক ক'লে,

"ধেৎ পাগলী। সেইবোৰ একো নাই। আমি দুইটাই মিলিয়ে এইটো decision লৈছোঁ। ক'ম দে তোক।"

ৱাৰ্ণিং পৰাত সিহঁত ভিতৰলৈ আহিল। বেগটো খোলাৰ লগে লগে ছিকিউৰিটীয়ে কুপন এটা দিলে সন্ধ্যাক। ইয়াত বেগ থওঁতে কুপন দিয়ে। বেগ নিয়াৰ সময়ত কুপনটো দেখুৱাব লাগে। কুপনটো লৈ বেগটো সমুখৰ ৰুমটোৰ ৱালখনৰ কাষত থৈ বেগৰ পৰা পেন, পানী বটল এইবোৰ উলিয়াই আছিল সন্ধ্যাই। তেনেতে পিছফালৰ পৰা আহি অনুৰণে মাত দিলে,

"কি শুনিছোঁ এইবোৰ?"

অনুৰণক দেখিয়ে কিয় জানো সন্ধ্যাৰ মনটো কিবা এনেয়ে ভাল লাগি গ'ল। ইমান দিনৰ পৰা দেখি অহা ল'ৰাটোক যেন আজি বেলেগ ৰূপত পাইছে তাই। হাঁহি মাৰি ক'লে,

"ঠিকেই শুনিছা আকৌ।"

অনুৰণ কিছু আচৰিত হৈছিল,

"কিয়? মানে কেনেকৈ?"

সন্ধ্যাই আকৌ হাঁহি এটা মাৰি অনুৰণৰ গাৰ কাষলৈ আহি সৰু সৰু মাতেৰে গালে,

"Subah savere uth ke maine

Ye sab kar liya...."

অনুৰণৰ হাঁহি উঠিছিল যদিও সি আকৌ সুধিলে,

"ছিৰিয়াছলি সুধিছিলোঁ মই"

Kaushik

"মানুহ হ'লে বিন্দাছ হ'ব লাগে, ছিৰিয়াছতো আই চি ইউৰ পেচেন্টো থাকে। অল দা বেষ্ট হাজৰিকা।" বুলি অনুৰণক ঠেলা এটা পৰীক্ষা হলটোলৈ সোমাই গ'ল সন্ধ্যা। অনুৰণে চাই ৰৈছিল তাই যোৱাৰ ফালে,

"কি আচৰিত ছোৱালী।"

পৰীক্ষা দি ওলাই বাহিৰত চাইকেলখন লৈ ৰৈ আছিল অভিমন্যু। আজি আৰু এটা ছেমিষ্টাৰ শেষ হ'ল সিহঁতৰ। এই ঠাইখনত আৰু মাত্ৰ দুবছৰ আছে তাৰ। সন্ধ্যাহঁত এবছৰ বেছিকৈ থাকিব সিহঁতৰ কোৰ্চটো পাঁচ বছৰীয়া বাবে। কোন পলকত যে দুবছৰ পাৰ হ'ল গমেই নাপালে সি। কথাবোৰ ভাবি থাকোঁতে সমুখত পৰী আহি ৰ'লহি,

"হাই অভিমন্যু, পৰীক্ষা কেনেকুৱা হ'ল তোমাৰ?"

"অঁ, ভালেই দিয়া।" মুখত হাঁহি এটা লৈ সিও ক'লে।

"শুনা না, মোৰ অলপ পাছতে বাছ আছে। তুমি মোক পটককৈ হোষ্টেলত নমাই দিবা পাৰিবা নেকি চাইকেলতে?"

পৰীৰ লেনিয়াই মতা সুৰত অভিমন্যুয়ে গহীন হৈ ক'লে,

"ছৰী দেই, মই সন্ধ্যালৈ ৰৈ আছোঁ। তাইক নিব লাগে।"

এনেতে ডিপাৰ্টমেন্টৰ ভিতৰৰ পৰা জুৰি প্ৰিয়াহঁতো আহি সেইখিনি পালেহি। অভিমন্যুৰ কথাটো শুনি প্ৰিয়াই সুধিলে,

"আকৌ বোলে তোমালোকৰ ব্ৰেক আপ হ'ল?"

অভিমন্যুয়ে সামান্য হাঁহি লৈ ক'লে,

"ফ্ৰেণ্ডছিপত কোনো ব্ৰেক আপ নাথাকে।"

"হ'লেও আৰু সন্ধ্যাই এনেকুৱা কৰিব নালাগিছিল। তাই ছোৱালীজনী এনেও অলপ চঞ্চল। তোমাক ইউজ কৰি--"

পৰীৰ কথাটো শেষ নহওঁতেই অভিমন্যুয়ে গহীন সুৰত দাঁত কৰচি উঠিল,

Kaushik

"পৰী, আজিয়েই লাষ্ট। ইয়াৰ পাছত যদি সন্ধ্যাৰ কথা এনেকৈ কোৱা শুনোঁ কথা বেয়া হ'ব।"

এনেতে সন্ধ্যা আহি পোৱাত তাইক চাইকেলত লৈ অভিমন্যু আঁতৰি গ'ল। পৰীহঁত গোটেই কেইজনী আচৰিত হৈছিল। ব্ৰেক আপ হোৱাৰ পাছতো এনেকৈ কোন বয় ফ্ৰেণ্ড থাকে। সকলোৱে ভাবিছিল যে সন্ধ্যা আৰু অভিমন্যুৰ হয়তো কোনোদিন মাত বোলেই নহ'ব। কিন্তু সিহঁত চোন আগৰ দৰেই আছে। অভিমন্যুহঁত যোৱাৰ ফালে চাই প্ৰিয়াই ক'লে,

"নাজানো আৰু দেই ইহঁতৰ মহিমা। এফালে কৈছে ব্ৰেক আপ এফালে আকৌ একেলগে ঘূৰি আছে।"

জুৰিয়ে হাঁহি মাৰি কৈছিল,

"ব্ৰেকআপ সিহঁতৰ প্ৰেমৰ হৈছে প্ৰিয়া। বন্ধুত্বৰ নহয়। সঁচাই আচল বন্ধুত্বৰ উদাহৰণ দিছে সন্ধ্যা আৰু অভিমন্যুয়ে।"

"নাজানোঁ আৰু দেই। আমি হ'লে বুজি নাপাওঁ এইবোৰ পাই।" পৰীয়ে ঠাট্টাৰ সুৰত ক'লে। জুৰিৰ এনেও তাইলৈ খং উঠিয়ে আছিল সন্ধ্যাৰ কথা বেয়াকৈ কোৱাত। সেইবাবেই লগে লগে ক'লে,

"বেলেগৰ দোষ খুচৰি ফুৰা মানুহে এইবোৰ বুজি নাপাবই।"

উচাৎ মাৰি পৰী আঁতৰি যোৱাৰ পাছত জুৰিহঁতো হোষ্টেললৈ খোজ ল'লে।

"তই ওচৰত ঘৰ হোৱাৰ পাছতো প্ৰতিটো ছেমিষ্টাৰত পৰীক্ষা শেষ হোৱাৰ দিনা যে ৰৈ দিয় কিয় অ'?"

সোৱণশিৰীৰ সমুখত সন্ধ্যাক নমাই অভিমন্যুয়ে সুধিলে। চাইকেলৰ নামি সন্ধ্যাই ক'লে,

"লগ কৰিবলৈ থাকে যে কাৰোবাক।"

"কাক অ'?"

"আছে আৰু, তোক কিয় ক'ম?"

Kaushik

"নহয় মানে আগতে কৈ থ'লে সেই ল'ৰাটোৰ কাৰণে বটল এটাৰ আয়োজন কৰি থ'লো হয়।"

অভিমন্যুয়ে দুষ্টালি সুৰত কোৱা কথাটোৰ অৰ্থ নুবুজি সন্ধ্যাই সুধিলে,

"বটল কিয়?"

"কিয় মানে? তোৰ পাল্লাত পৰাৰ পাছত বেচেৰাৰ বটলৰ প্ৰয়োজন নহ'ব জানো?"

অভিমন্যুয়ে কোৱাৰ লগে লগে সন্ধ্যাই তাক খেদি গ'ল,

"তোক যে মই কেতিয়াবা"

চাইকেলখন তাতে এৰি অভিমন্যু ৰাস্তাৰ সিপাৰলৈ দৌৰিছিল। পিছে পিছে সন্ধ্যাও। হঠাৎ স্পীডত অহা স্কুটী এখনে সন্ধ্যাৰ একেবাৰে গাৰ কাষেৰে পাৰ হৈ গ'ল। অভিমন্যুয়ে ভাগ্যে হাতত ধৰি জোৰেৰে টানি আনিলে তাইক।

"অলপ চাই চিতি আহিব নোৱাৰ? কেঁচুৱা নি তই?" সি খঙেৰে চিঞৰিছিল।

"গালি কিয় দিছ নো?" সন্ধ্যাই সৰু মাতেৰে তলমূৰ কৰি ক'লে। অভিমন্যুৰ মৰম লাগি গ'ল বেচেৰীলৈ। এইজনী সন্ধ্যাকে সি যে কেনেকৈ কন্দুৱাইছিল। দুহাতেৰে তাইৰ মুখখন ধৰি ক'লে,

"নাই দিয়া অ' গালি। তই দুখ পালে মোৰ ভাল লাগে জানো?"

সন্ধ্যাই একো নামাতিলে। অভিমন্যুয়ে আকৌ ক'লে,

"এতিয়া কচোন আজি ঘৰ কিয় নাযাঁৱ? কাক লগ কৰ?"

"পখীৰ পৰীক্ষা কাইলৈহে শেষ কিবা। একেলগে যাম।"

লগে লগে মুখত হাঁহি এটা লৈ অভিমন্যুয়ে সন্ধ্যাৰ কাণৰ কাষলৈ ক'লে,

"আচ্ছা, আমাৰ ব্ৰেক আপ হ'ল যেতিয়া পখীকে মোলে পতাই দে না।"

"অভদ্ৰ, আৰম্ভ হৈ গ'ল ন তোৰ? আগৰ নিচিনা যাৰে তাৰে লগত চেনি খাই ফুৰিলে চাবি কিন্তু।"

সন্ধ্যাই আঙুলি টোঁৱাই কৈছিল। অভিমন্যুয়ে এডাল চেলাউৰি ওপৰলৈ উঠাই সুধিলে,

"কি কৰিবি?"

Kaushik

"প্ৰপোজ কৰি দিম, আকৌ।"

"য়েছ দি দিম, আকৌ।"

হাঃ হাঃ কৈ শব্দ কৰি হাঁহি দিছিল দুইটাই। সিহঁতৰ মাজৰ হেৰুৱা মৰমবোৰ যেন উভতি আহিছিল আকৌ। সঁচাই বন্ধুত্ববোৰ এনেকুৱাই। সময় থাকোঁতেই নিজৰ ভুল বুজি পোৱাৰ বাবে সিহঁতে ভগৱানকে ধন্যবাদ দিছিল। সুদীৰ্ঘ আঠ মাহৰ পাছত সন্ধ্যাৰ লগত এইদৰে ধেমালি কৰিছিল অভিমন্যুয়ে। আৰু সন্ধ্যাইও কিমান দিনৰ মূৰত যে তাৰ লগত এনেকৈ মন খুলি হাঁহিছিল। আজি না সন্ধ্যাৰ অভিমানত তাৰ খং উঠিছে, না তাৰ ধমকিত সন্ধ্যাৰ খং উঠিছে। সকলো যেন আগৰ দৰে হৈছিল। এৰা, প্ৰেমে এৰি যোৱাজনকো সামৰি লয় বাবেই চাগে বন্ধুত্ব সদায় বিশেষ। কিছু সময় কথা পাতি অভিমন্যু পাটকাইলৈ গৈছিল গৈ। সি আজিয়ে ঘৰলৈ যাব।

"যা, মন চন মাৰি নাথাকিবি ঘৰত।" সন্ধ্যাই কৈছিল। "হ'ব দে" বুলি অভিমন্যু আঁতৰি গ'ল।

Kaushik

দুপৰীয়া ভাত কেইটা খাই সন্ধ্যা নিমিষাৰ ৰুমলৈ গ'ল। দুই তিনিদিনৰ পৰা তাই মন কৰিছিল নিমিষা যেন অলপ আঁতৰি আঁতৰি আছে। কাৰো লগত কথাও বেছি নাপাতে। আনকি পৰীক্ষাতো সকলোৰে আগত ওলায়। আজি পৰীক্ষা শেষ হোৱাৰ পাছত এবাৰ সন্ধ্যাই নিমিষাক বাথৰুমতে পাই সুধিছিল,

"নিমি, কি হৈছে তোৰ? মন কৰিছোঁ তই যেন অলপ বেলেগ হৈ আছ।"

নিমিষাই সন্ধ্যাৰ চকুলৈ চাইছিল। চকুত পানী ভৰি আহিছিল তাইৰ। সন্ধ্যাৰ হাতত ধৰি নিমিষাই কৈছিল,

"সন্ধ্যা, ইমান দিনে কোনেও মোক এনেকৈ মন কৰা নাই। মই বৰ কষ্টত আছোঁ অ' সন্ধ্যা।"

সঁচাই, আমাৰ চাৰিওফালে এনে বহুলোক থাকে। যি নিজে নিজে যন্ত্ৰণাত ভুগি থাকে। কিন্তু কাকো ক'ব নোৱাৰাৰ কাৰণে ভিতৰি শেষ হৈ যায়। আমাৰ এষাৰ মাতে কাৰোবাৰ মনটো যদি অলপো ভাল লগাই তেন্তে সেই মাতষাৰ দিয়াত আপত্তি কিহৰ! সন্ধ্যাই নিমিষাক লগ কৰাৰ কথা দিছিল তেতিয়াই।

সন্ধ্যা গৈ পাওঁতে নিমিষা এনেই বিচনাত পৰি আছিল। তাইৰ ৰুমমেট ঘৰলৈ গ'ল। সন্ধ্যা সোমাই যোৱাত উঠি বহিল তাই।

"এতিয়া কচোন মোক। কি হ'ল?"

নিমিষা উচুপি উঠিল। তাৰ পাছত ক'লে তাইৰ নিজৰ কাহিনী। হায়াৰ চেকেণ্ডেৰীৰ পৰাই নিমিষাৰ এজন খুব ভাল ফ্ৰেণ্ড আছিল। নাম প্ৰাঞ্জল। নিমিষাৰ সৰু সৰু আব্দাৰৰ পৰা অভিমানলৈকে সকলো সামৰি ৰাখিছিল প্ৰাঞ্জলে। সি যেন বুজিও পাইছিল তাইক বহুখিনি। কিন্তু ভুলটো নিমিষাই তাতেই কৰিলে। প্ৰাঞ্জলৰ সেই মৰমবোৰত এদিন তাই কৈ পেলালে যে তাক ভাল পায়। কিন্তু প্ৰাঞ্জলে তাইৰ প্ৰেম প্ৰত্যাখ্যান কৰাই নহয়, সেইদিনাৰে পৰা তাইৰ লগত কথাও নপতা হ'ল। নিমিষাই বাৰে বাৰে ক্ষমা বিচাৰিছে, কিন্তু প্ৰাঞ্জলৰ এটাই কথা,

"মই তোক সেইটো দৃষ্টিত চোৱা নাই আৰু নাচাওঁ। এই অনুভৱবোৰ বেছিকৈ বঢ়াৰ আগত আমি আঁতৰি থকাই ভাল।"

নিমিষাই বহু চেষ্টা কৰিলে। কিন্তু নোৱাৰিলে। কথাখিনি কোৱাৰ পাছত নিমিষাই চকুপানী মচি ক'লে,

"তইও মোৰ দৰেই চাগে ভুল কৰিছিলি সন্ধ্যা। কিন্তু অভিমন্যুয়ে বুজি পালে। তাৰ বাবে তহঁতৰ আগৰ ফ্ৰেণ্ডছিপটো শেষ হোৱা নাই। কিন্তু মোক চা।"

তাই আকৌ কান্দিবলৈ লৈছিল। সন্ধ্যাই যিমান পাৰে বুজাইছিল নিমিষাক,

"চাবি এদিন প্ৰাঞ্জলে বুজি পাব আৰু নিজেই উভতিও আহিব।"

কিছু সময়ৰ পাছত শান্ত হৈ নিমিষাই ক'লে,

"থেংক ইউ সন্ধ্যা। তোৰ আগত কথাখিনি কৈ অলপ মনটো পাতল লাগিছে।"

সঁচাই, আমাৰ চাৰিওকাষে যে কিমান জীৱন্ত গল্প ঘূৰি থাকে আমি যে কল্পনাও কৰিব নোৱাৰোঁ।

কিছু সময়ৰ পাছত তাৰ পৰা উভতি আহিল সন্ধ্যা। বিচনাত পৰি তাই দিনটোৰ কথাবোৰেই ভাবিবলৈ লাগিল। অথনি জুৰিয়ে কোৱা কথাটো মনত পৰিল। ৰশ্মিৰ দৰেই সন্ধ্যাইও যদি ব্ৰেক আপ হোৱাৰ পাছতেই অনুৰণৰ লগত সম্পৰ্কত আহে সিহঁতে তাইক সহজ ভাৱে ল'ব পাৰিব নে? বুজি পাব নে যে অভিমন্যুৰ লগত তাইৰ একো

Kaushik

প্ৰেম নাছিলেই? নাই, কিমানৰ মুখ বন্ধ কৰিব সন্ধ্যাই? ৰশ্মিৰ দৰে যদি তাইও হৈ পৰে আনৰ আলোচনাৰ বিষয়? তাইৰো চৰিত্ৰলৈ যদি আঙুলি টোঁৱাই? সন্ধ্যাই সকলো সহ্য কৰিব পাৰিলেও বদনাম সহ্য কৰিব নোৱাৰে। কিন্তু বদনামলৈ ভয় কৰি তাই অনুৰণক হেৰুৱাব জানো? ঠিক আছে, তাই যেনিবা অনুৰণক কৈ দিলেই। কিন্তু নিমিষাৰ লগত হোৱাৰ দৰে যদি অনুৰণো তাইৰ পৰা আঁতৰি যায়? কাৰণ সন্ধ্যাইতো তাৰ মনৰ কথা নাজানে। যদি অনুৰণে তাইক সেই দৃষ্টিৰে নাচাইয়ে? আৰু তাৰোপৰি নিজৰ বন্ধুৰ পূৰ্বৰ প্ৰেমিকাক অনুৰণে আদৰিব জানো? অকল সন্ধ্যা আৰু অভিমন্যুয়েহে জানে সিহঁতৰ মাজৰ কথাবোৰ। বাকী গোটেই পৃথিৱীয়েতো সিহঁতক প্ৰেমিক প্ৰেমিকা বুলিয়ে ভাবিছিল। তেন্তে অনুৰণক তাই ভাল পালে মানুহে যে অনুৰণৰ চৰিত্ৰলৈও আঙুলি নোটোৱাব তাৰ কি মানে আছে! এনেও মানুহক এটা সুযোগ হে লাগে। এইবোৰৰ পাকচক্ৰত অনুৰণক হেৰুৱাৰ ভয়ে আৱৰিছিল সন্ধ্যাক। সকলো ভাবি গুণি শেষত সন্ধ্যাই সিদ্ধান্ত লৈছিল যে তাই অনুৰণক একো নকয়। প্ৰিয়জনক মনৰ কথা কৈ তেওঁৰ পৰা আঁতৰি যোৱাতকৈ কথাবোৰ বুকুত সাঁচি তেওঁৰ কাষত থকাই ভাল। অনুৰণেই এদিন কৈছিল তাইক যে ভালপোৱা বস্তুবোৰ দূৰৈৰ পৰাই চাব লাগে। সন্ধ্যাইও তাকেই কৰিব। যদি তাইৰ ভালপোৱা সঁচা হয়, তেন্তে অনুৰণে নিজেই তাইক ক'ব এদিন। মানুহৰ ভুল ধাৰণা আঁতৰাই তাইক অনুৰণে নিজেই আঁকোৱালি ল'ব এদিন। তাৰ বাবে তাইও অপেক্ষা কৰিব। কোনো আপত্তি নাই। কাৰণ, প্ৰাপ্তিতকৈ প্ৰতীক্ষাৰ অনুৰাগ সদায় বেছি।

Kaushik

যাওঁ যাওঁ কৰা আবেলিটোক বিদায় জনাবলৈ কাঁচিজোন জনী যেন সাজিকাচি ওলাই আহিছিল। দুপৰীয়া নিমিষাৰ ৰুমৰ পৰা আহি অলপ শুই সন্ধ্যা সাৰ পাই মানে গধূলিয়ে হ'ল। একেবাৰে এন্ধাৰো নহয়, কিন্তু পোহৰো নহয়। বিচনাতে মোবাইলটো লৈ তাই অনুৰণলৈ মেচেজ লিখিলে,

"Oi, ulai jaba neki?"

আগতে তাই এইদৰে মেচেজ নিদিয়ে তালৈ। এতিয়া কেনেকৈ জানো দিব পাৰিলে। প্ৰেমত মানুহ সাহসী হৈ পৰে চাগৈ। কিছু সময়ৰ পাছতে অনুৰণে উত্তৰ দিলে,

"O bola"

কাৰোবাৰ পৰা অহা সৰু সৰু মেচেজবোৰেও হাঁহিবোৰ কঢ়িয়াব পাৰে নে! সন্ধ্যাই মুখ ধুই কাপোৰ সলালে। অনুৰণৰ মিচ কল অহাত তললৈ নামি আহিল। বাহিৰলৈ ওলাই অহাৰ সময়ত প্ৰায় এন্ধাৰ হৈছিল। আকাশখনে এন্ধাৰ পোহৰৰ মাজত হেঙুল ৰং লৈছিল। ষ্ট্ৰীট লাইটবোৰ জ্বলি উঠিছিল। বাহিৰত গোবিনতে সৰু সুৰাকৈ কিবা খালে সিহঁতে। খাই থাকোঁতে অনুৰণে সুধিলে,

"অথনি কথাটো নক'লা যে?"

"অভিয়ে কোৱা নাই একো?" চাহ কাপত চুমুক দি সন্ধ্যাই ক'লে।

"কৈছে। তেওবুলি তুমি ক'ব নোৱাৰা নি?"

"সেয়াই আৰু। আমি ৰিয়েলাইজ কৰিলোঁ আচলতে। কোনোবাই জোকাওঁতে জোকাওঁতে অহা অনুভৱ এটা প্ৰেম হ'ব নোৱাৰে ন। জোকাবলৈ বাদ দিলেই শেষ হ'ব সেইবোৰ।"

সন্ধ্যাৰ কথাত একো বিশেষ নক'লে অনুৰণে। সন্ধ্যাইও পুনৰ সেইবোৰ কথা নুলিয়ালে। খাই হোৱাত উঠি আহিছিল সিহঁত তাৰ পৰা গেটৰ ভিতৰলৈ। বয়জ হোষ্টেলৰ আগেৰে সোৱণশিৰীলৈকে আগবাঢ়িছিল সিহঁত। কিন্তু সন্ধ্যা যেন আৰু অলপ সময় থাকিব খুজিছে অনুৰণৰ লগত। কাইলৈৰ পৰাতো আকৌ দুমাহ নেদেখিব। সেইবাবেই কাঞ্চনজংঘাৰ পুলটো পাওঁতেই তাই ক'লে,

"ইয়াতে বহোঁ ব'লা না অলপ।"

অনুৰণ বহিল। কাষতে সন্ধ্যাও। আকাশখন তেতিয়া ফৰকাল। কাঁচিজোনটোৰ লগতে এটা তৰাও জিলিকি আছে। সিহঁত ৰাস্তালৈ পিঠি দি ফিল্ডৰ ফালে চাইছিল। বগা লাইটবোৰে ফিল্ডখন পোহৰ কৰিছে। কিন্তু সেই কাঁচিজোনটোক যেন ফেৰ মাৰিব পৰা নাই। পৰীক্ষা শেষ হোৱাৰ ফুৰ্তিতে হ'বলা আজি ফিল্ডত খেলা মানুহো বেছি।

"তুমি ঠিকে আছাতো?"

বহু সময় মনে মনে থকাৰ পাছত অনুৰণে সুধিলে। সন্ধ্যাই তালৈ চালে। সি আকাশখনলৈ চাই আছিল। কিবা যেন ভাবিছে। তাই ক'লে,

"আছোঁ ৰণ।"

Kaushik

সন্ধ্যাৰ মন গৈছে যেন সকলো কথাই তাই খুলি ক'ব। কিন্তু নাই, নোৱাৰিলে। অনুৰণক হেৰুৱাৰ ভয়টোৱে ৰখাই দিছিল তাইক। বাৰে বাৰে হুঁমুনিয়াহ সৰিছে তাইৰ। বুকুত অনুভৱ হৈছিল বিষ এটা। ইয়াৰ নামেই চাগে ভালপোৱা।

"জোনটো চোৱা না ধুনীয়া লাগিছে।"

অনুৰণে ক'লে। সন্ধ্যাই তাৰ মুখলৈ চাই নিজক কোৱাৰ দৰে কৈছিল,

"জোনলৈয়ে চাই আছোঁ।"

বতাহ এজাক বলিছিল পাতলীয়াকৈ। সন্ধ্যাৰ চুলিবোৰ উৰি অনুৰণৰ চকুটো পৰিছিল। এবাৰ সি তাইলৈ চাই ক'লে,

"গান এটা গোৱা না।"

"এতিয়া? ইয়াত?"

"অ, সৰুকৈ গোৱা। অকল মই শুনাকৈ।"

সন্ধ্যাই মাতটো যিমান পাৰে সৰু কৰি জুবিনৰ বিহুটো গাইছিল ওপৰৰ জোনটোলৈ চাই,

"বেঁকা পশ্চিমৰ কাঁচি জোন,

এবাৰ মনৰ দাপোণ খোলা চোন....."

পিছৰ কণ অলপ পাহৰি যোৱাৰ দৰে ৰৈ গ'ল তাই। লগে লগে অনুৰণে তাইৰ কাষলৈ মুখখন আনি গাইছিল,

"ৰুণজুন ৰুণজুন,

মৰমে নধৰে চোন,

মই বাৰু তোমাৰ কোন,

কোৱা চোন।"

সন্ধ্যা চকু কেইটা ডাঙৰ কৰি চাইছিল তালৈ,

"তুমি গান গোৱা ৰণ?"

Kaushik

"এনেই অলপ চলপ।"

"এইয়া যে অলপ চলপ নহয় আৰু। ধুনীয়া গাইছা। পাৰ্টিচিপেট নকৰা কিয় ক'তো?"

সন্ধ্যাৰ কথাত অনুৰণে তাৰ শান্ত মাতটোৰে ক'লে,

"ভালপোৱা বস্তুবোৰ নিজৰ বাবেহে, সকলোকে জনাবৰ বাবে নহয়।"

সন্ধ্যাই মিচিকিয়াইছিল। কিয় জানো এনে লাগিল, অনুৰণে যেন তাইকেই ক'লে কথাষাৰ। কিছু সময় তাত বহি সিহঁত উঠি আহিল। সদায় অহাৰ দৰেই অনুৰণো তাইৰ লগত সোৱণশিৰীলৈকে আহিল। গেটখন পাই সি ক'লে,

"কাইলে কেইটাত যাবা?"

"পখীৰ পৰীক্ষা শেষ হোৱাৰ পাছত। তুমি?"

"মোৰ ছটাতে বাছ।"

সন্ধ্যাই একো নামাতিলে। কিয় জানো ভাৱ হৈছিল আৰু অলপ সময় থাকিব পৰা হ'লে।

"সন্ধ্যা..." অনুৰণে মাতিলে।

"কোৱা"

"কিবা ক'ব খুজিছা?"

অনুৰণৰ প্ৰশ্নটোত বুকুখনত যেন এক হাঁহাকাৰ সৃষ্টি হৈছিল সন্ধ্যাৰ। আকাশ বিদাৰি যেন তাই চিঞৰি উঠিব, "তোমাক মই ভাল পাওঁ অনুৰণ।" কিন্তু একো নক'লে তেনেকুৱা। মাত্ৰ ক'লে,

"গৈ পাই ফোন কৰিবা।"

সদায় অনুৰণে কোৱা কথাটো আজি সন্ধ্যাৰ মুখত শুনি অনুৰণো চাগে আচৰিত হৈছিল। সি হাঁহি মাৰি ক'লে,

"মোৰ ডাইলগ কপি কৰিছা ন?"

সন্ধ্যাই হাঁহি পেলাইছিল। অনুৰণেও। সি আকৌ ক'লে,

"কৰিম। তুমিও কৰিবা।"

Kaushik

"উম" বুলি সন্ধ্যা ভিতৰলৈ সোমাই গ'ল। উভতি চাবলৈ মন গৈছে যদিও চোৱা নাই তাই। কাৰণ জানে, অনুৰণ ৰৈ থাকিব তাই নেদেখা হোৱা লৈকে। হয়, ৰৈও আছিল সি। সন্ধ্যা ভিতৰ পালেগৈ। ঠিক পাঁচ/দহ ছেকেণ্ড মান ৰৈ তাই দৌৰি ওলাই আহিল আকৌ গেটলৈ। অনুৰণ তেতিয়ালৈ গৈছিল গৈ দুখোজ মান। গৈ থকা অনুৰণক পিছফালৰ পৰাই চাই ৰৈছিল সন্ধ্যাই। খোজবোৰতো যেন প্ৰকাশ পাই তাৰ ব্যক্তিত্ব। কালিৰ পৰা ভাবি থকা কথাটো তাই আজি নক'লে। কিন্তু একো আক্ষেপো নাই তাইৰ। কৈ দিলেই যদি অৱহেলাই পোৱা যায়, তেন্তে বুকুতেই বৈ থাকক চোন গোপনে। ভালপোৱাৰ বাবে হৃদয়তকৈ শ্ৰেষ্ঠ আৱাস আন কিবা হ'ব পাৰে জানো! আকাশত তেতিয়াও জোনৰ কাষৰ তৰাটো জিলিকি আছিল। সোৱণশিৰীৰ গেটখনতে হাওলি মূৰটো আঁওজাই দিলে সন্ধ্যাই তাতে। চকুৰে পলক নজপোৱাকৈ চাইয়ে আছিল অনুৰণলৈ। সোৱণশিৰীৰ ভিতৰত বাজি আছিল গান এটা,

"হৃদয়ৰে দুৱাৰ খুলি ৰাখিছোঁ মই নিৰলে

সময়ৰে সোঁতত আহি সোমালাহি বুকুতে

তুমি জিলিকি জিলিকি থকা,

সৌ দূৰ আকাশৰ তৰা,

তুমি এখনি ধুনীয়া ছবি,

মই গোপনে গোপনে অঁকা...."

(আগলৈ)

#নিৰিবিলি

Part 86

সময়ে বাগৰ সলাই, ব্যস্ততাই মেৰিয়াই, জীৱনে আগুৱাই। চাওঁতে চাওঁতে কেনেকৈ যে দুটা বছৰ পাৰ হ'ল সন্ধ্যা, অভিমন্যু কোনেও তলকিবই নোৱাৰিলে। কাঞ্চনৰ চহৰখনত আৰম্ভ হৈছিল সন্ধ্যাহঁতৰ তৃতীয়টো বৰ্ষ।

এই বৰ্ষটোতে তেজপুৰ বিশ্ববিদ্যালয়লৈ আহিছিল কিছু পৰিৱৰ্তন। পূৰ্বৰ ভিচি গৰাকী সলনি হ'ল। সুদীৰ্ঘ কাল ভিচি হৈ বিশ্ববিদ্যালয়খনৰ উত্তৰণত অক্লান্ত শ্ৰম কৰা

Kaushik

ব্যক্তিজনৰ প্ৰস্থানত সকলো বিষয় ববীয়া দুঃখিত হোৱাৰ সমসাময়িক ভাৱে শিক্ষাৰ্থীসকলৰ মাজত চলিছিল নানা বু বু বা বা।

"Attendance বোলে কমাব?"

"নতুন ভিচি হেনো অসমৰ কোনোবা হ'ব?"

"নিউ ৱমেনচথন হেনো বয়জ হোষ্টেল কৰিব?"

"পৰীক্ষা বোলে কমাই দিব?"

"ছোৱালীৰ ইন টাইম উঠাই দিব হেনো?"

আৰু যে কত কি? কোনোবাই বিশ্বাস কৰিছিল, কোনোবাই "ধুৰ, TU আৰু চেঞ্জ হ'ব নেকি?" বুলি উলাই কৰিছিল। বাকী যি কি নহওঁক, ইউনিভাৰ্চিটীৰ নিয়মৰ ক্ষেত্ৰত কঠোৰতকৈও কঠোৰ ব্যক্তিজনৰ কাৰ্যকালৰ সমাপ্তিত এচামে ভিতৰি ভিতৰি সুখীও হৈছিল। নতুন ভিচি এপইন্টমেন্ট নিদিয়ালৈকে সন্ধ্যাহঁতৰ ইংৰাজী বিভাগৰে শৰ্মা ছাৰক ভিচিৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। তেখেত অহাৰ পাছতে উৰাবাতৰিবোৰ সকলো সঁচা নহ'লেও সকলোকে আচৰিত কৰি বিশেষ কেইটামান সঁচাকৈ কাৰ্যতঃ পৰিণত হৈ গ'ল। তাৰ ভিতৰত প্ৰধান হ'ল এতিয়াৰে পৰা ইউনিভাৰ্চিটীত ছটা পৰীক্ষাৰ পৰিৱৰ্তে চাৰিটা পৰীক্ষা পতা হ'ব আৰু উপস্থিতিৰ হাৰ শতকৰা নৱৈ শতাংশৰ পৰিৱৰ্তে পয়সত্তৰ শতাংশ থাকিলেও হ'ব।

হয়তো অসম আন্দোলনৰ পৰিণতি স্বাক্ষৰিত হোৱা অসম চুক্তিতো অসমৰ ৰাইজে সিমান আনন্দ পোৱা নাছিল যিমান আমাৰ তেজীয়ান সকলে ইউনিভাৰ্চিটীয়ে লোৱা এই দুটা সিদ্ধান্তত পাইছিল।

"Attendance 75%? কি কঁৰ?"

"কি কৈছ? এক্সাম অকল চাৰিটা?"

"এই বে, TU য়ে কন্দুৱাই দিব বে। ইমান মৰম কৰে নেকি এবাৰতে।"

ৰাইজৰ আবেগ যে কেনি কেনি ওলাইছিল ঠিক নাই। মুঠতে তেজপুৰ ইউনিভাৰ্চিটীত আৰম্ভ হৈছিল এক অভূতপূৰ্ব পৰিৱৰ্তন। কিন্তু কাৰো কল্পনাও নাছিল, এই বৰ্ষটো কিমান অভিশপ্ত কাঞ্চনৰ চহৰখনৰ বাবে।

Kaushik

এইটো ছেমিষ্টাৰতে বহু কিবা কিবি সলনি হ'ব সন্ধ্যাহঁতৰো। প্ৰথম হৈছে সন্ধ্যাই আটাইতকৈ ভাল পোৱা জুপিতৰা মেমৰ অসমীয়াৰ MIL পেপাৰখন আৰু নাথাকিব। অৰ্থাৎ ফিফথ ছেমৰ পৰা অকল মেজৰৰ পেপাৰবোৰ হে থাকিব সন্ধ্যাহঁতৰ। তাৰ লগতেই এইটো ছেমিষ্টাৰৰ পৰা Integrated MA আৰু Integrated BA BEd ৰ ক্লাছ বেলেগ বেলেগকৈ হ'ব। মানে সিহঁতৰ আৰু কমন পেপাৰ নাথাকে। ফলস্বৰূপে ক্লাছত আৰু সন্ধ্যাই অভিমন্যুক একেবাৰেই লগ নাপায়। যিহেতু সি BA BEd ৰ। ময়ূৰক আৰু অভিমন্যুয়ে একো পঢ়াব নোৱাৰে। অভিমন্যুৰ ইংলিচ মেজৰৰ দুখন পেপাৰ থাকিব যদিও সেই কেইখনৰ ক্লাছ বেলেগকৈ অকল BEd খিনিৰ সৈতেহে হ'ব। অভিমন্যুহঁতৰ পেপাৰৰ সংখ্যা আগতকৈ বৃদ্ধি হোৱাৰ বিপৰীতে সন্ধ্যাহঁতৰ পেপাৰ মাত্ৰ তিনিখন। আৰু এবছৰ পাছতে সিহঁতৰ গ্ৰেজুৱেচন শেষ হৈ মাষ্টাৰ্চত সোমাব। তেতিয়াই নতুন ক্লাছমেটো আহিব। মুঠতে এই সকলোখিনি সাল সলনিয়ে যেন বাৰে বাৰে সোঁৱৰাইছিল, আৰু দুবছৰৰ পাছতে অভিমন্যুহঁত যাবগৈ। সঁচাই এই সময়, বৰ আচৰিত নহয় !!

Kaushik

ইউনিভাৰ্চিটীৰ নিয়মবোৰ যে আগতকৈ বহুখিনি শিথিল হ'ল তাৰ প্ৰমাণ সন্ধ্যাহঁতে জেনেৰেল ফ্ৰেচাৰ্ছতে পালে। আগতে ইয়াত এটাই নিয়ম যে যিকোনো প্ৰগ্ৰামেই নহওঁক কিয় এঘাৰ বজাৰ পিছলৈ হ'ব নোৱাৰে। লাগিলে সেয়া Techxetra য়েই হওঁক নাইবা ভাৰ্চিটী উইকেই। এবাৰ হেনো অলপ দেৰি হোৱাৰ বাবে ভিচিয়ে গোটেই ইলেক্ট্ৰিচিটী বন্ধ কৰি দিছিল। সন্ধ্যাহঁতে পোৱা নাই যদিও ছিনিয়ৰৰ মুখত শুনিছে। পিছে এইবাৰ কোনেও কল্পনা নকৰা ঘটনাবোৰ হৈছিল। এঘাৰ বজাৰ পৰিৱৰ্তে এক বজালৈকে হৈছিল জেনেৰেল ফ্ৰেচাৰ্ছৰ প্ৰগ্ৰেম। গোটেই কাঞ্চন নগৰী যেন ফুৰ্তিত ক'ব নোৱাৰা হৈছিল। পখীহঁতৰ উৎপতীয়া গ্ৰুপটোৱে যেন উৰি হে ফুৰিছিল। সন্ধ্যাক আহি কৈছিলহি তাই,

"আজিহে কিবা ইউনিভাৰ্চিটীত পঢ়া যেন লাগিছে। ইমান দিনে কিবা বৰ্ডিং স্কুল টাইপ ফিল হৈছিল।"

হঠাৎ ইমান স্বাধীনতা পাই সঁচাই ৰাইজৰ আনন্দৰ সীমা নাই। এতিয়া সকলোৰে মুখে মুখে এটা কথা,

"এইবাৰ Techxetra চোন হেভী হ'ব।"

হয়োতো, ফ্ৰেচাৰ্ছেই এটা বজালৈ হৈছে যেতিয়া Techxetra চাগে ৰাতিপুৱালৈকে হ'ব। এইবোৰৰ মাজত বেয়া পোৱা লোকো আছিল একাংশ। বহুতে কোৱা কুই কৰিছিল,

"ইমান বেছি মুকলি কৰি দিয়াও বেয়া।"

মহামায়া দোকানৰ আড্ডাত বকুল দাইও কৈছিল সন্ধ্যাহঁতক,

"ইমান ঢিলাই দিলে অঘটনহে হ'ব গৈ।"

সন্ধ্যাহঁতৰ পিছে একোতে আপত্তি নাই। হাঁহেৰেও ৰাজি মাহেৰেও ৰাজি। এনেও দুবছৰ এনেকৈ থাকি থাকি অভ্যাস হ'লেই। গতিকে এতিয়া সলালেও বিশেষ একো প্ৰভাৱ নপৰে তাইৰ ওপৰত।

ক্লাছবোৰ আৰম্ভ হওঁতেই এদিন জুপিতৰা মেমে মাতি ভাত এসাঁজ খোৱাইছিল সন্ধ্যাহঁতক। সিহঁতক আৰু ক্লাছত নোপোৱাৰ কথাটোত মেমৰো বেয়া লাগিছিল।

"আহি থাকিবা কিন্তু মাজে মাজে।"

অহাৰ পৰত মেমে কৈছিল।

"চিন্তা নকৰিব মেম, আৰু তিনি বছৰ আছোঁৱেই আপোনাক কামোৰ দিবলৈ।"

জুৰিৰ কথাত আটাইবোৰে হাঁহিছিল।

Kaushik

এইবাৰ ডিপাৰ্টমেন্ট ফ্ৰেচাৰ্ছ সন্ধ্যাহঁতে পাতিব লাগে, যিহেতু সিহঁত ফিফথ ছেম। সেইবাবে ক্লাছৰ আৰিফ আৰু জুৰিক লগত লৈ সন্ধ্যাই HODৰ পৰা লিখিত অনুমতি লৈ আনিছিল ফ্ৰেচাৰ্ছৰ বাবে। আৰিফ এইবোৰ ক্ষেত্ৰত এক্টিভ বাবে সন্ধ্যাহঁতে তাকেই লগত লৈছিল। অনুমতি লৈ অনাৰ পিছদিনাৰ পৰাই আৰম্ভ হৈছিল ফ্ৰেচাৰ্ছৰ যা যোগাৰ। পইছা তোলা, বজাৰ কৰা আদি সকলো কাম কাজ ভগাই লৈছিল সন্ধ্যাহঁতৰ ক্লাছটোৱে। অভিমন্যুহঁতৰ BA BEdৰ ক্লাছবোৰ বেলেগকৈ হয় যদিও সিহঁতেও যিমান পাৰে সহায় কৰিছিল সন্ধ্যাহঁতক। সিহঁতৰ ক্লাছ সন্ধ্যাহঁততকৈ বেছি বাবে বৰ বিশেষ কাম দিয়া নাছিল সিহঁতক। কিন্তু তাৰ মাজতে সন্ধ্যাৰ লগত বস্তুৰ অৰ্ডাৰ দিবলৈ অভিমন্যু নিয়মিত ভাৱে গৈছিল। আনফালে জুনিয়ৰখিনিৰ মাজত পাতিব লগা লাভ লেটাৰৰ প্ৰতিযোগিতাখন পৰিচালনা কৰিছিল নিমিষা, সীমা আৰু ময়ূঁৰে। এইটো প্ৰতি বছৰৰ এটা আচৰিত নিয়ম। প্ৰতিজন জুনিয়ৰে নিজৰ এগৰাকী ছিনিয়ৰলৈ এখন প্ৰেমৰ চিঠি লিখিব লাগে। আৰু ছিনিয়ৰ সকলে সেই চিঠি পঢ়ি পুৰস্কাৰ নিৰ্ধাৰণ কৰে। পুৰস্কাৰ পোৱা চিঠি কেইখন ফ্ৰেচাৰ্ছৰ দিনা পঢ়ি শুনোৱা হয়। বেচেৰা জুনিয়ৰ

কেইটাৰ অৱস্থা নোহোৱা হয়। জুৰিয়ে এই কামটো সন্ধ্যাকে চম্ভালিবলৈ কৈছিল যদিও তাই আনবোৰ কামত ব্যস্ত থাকিব লগা হোৱাৰ বাবে নোৱাৰিলে। চিঠিবোৰ সীমাহঁতে সংগ্ৰহ কৰিছেই। ময়ূৰৰ লগ লাগি সেইবোৰ পৰীক্ষাও কৰি আছিল। ফ্ৰেচাৰ্চলৈ বেছি দিন নাই। কিন্তু তেতিয়াই লাগিল কেণাটো।

সন্ধ্যাহঁতৰ ডিপাৰ্টমেন্টত শিক্ষাৰ্থী বহুত বেছি বাবে সকলোকে এজন এজনকৈ নিমন্ত্ৰণ দিয়াতো সম্ভৱ নহয়। সেই কাৰণে সন্ধ্যাই নিজ হাতে এখন নিমন্ত্ৰণী পত্ৰ তৈয়াৰ কৰি আনিছিল আৰু সেইখন ডিপাৰ্টমেন্টৰ নটিছ বৰ্ডত ওলোমাই দিলে। তাৰ পাছত প্ৰতিটো ক্লাছত গৈ এবাৰ এবাৰ কৈ আহিল। কিন্তু লৰালৰিৰ বাবেই হ'বলা সন্ধ্যাই পত্ৰখনত BA BEd নামটো উল্লেখ কৰিবলৈ পাহৰি গ'ল। অৰ্থাৎ যিসকলে গোটেই থিনি আয়োজন কৰিছে তাত অকল Integrated MA 5th sem বুলি লিখিলে। কথাটো কোনেও মনো কৰা নাছিল। নটিছ বোৰ্ডত লগাই অহাৰ অলপ সময় সন্ধ্যা আৰু আৰিফহঁত এমিনিটীত বহি আছিল। দুদিন পাছত ফ্ৰেচাৰ্চ। অনুষ্ঠানটোত anchoring কৰিবলৈ নেহাক কোৱা হৈছে। তাই পাৰিব চলাই নিব। তাৰ লগতে কি কি প্ৰগ্ৰাম ৰাখিলে ভাল হ'ব তাৰেই আলোচনা চলিছিল। তেনেকুৱাতে সন্ধ্যালৈ অভিমন্যুৰ ফোন আহিল,

"তহঁতে কি চব অকলেই কৰি আছ মানে। আমি কি একোৱেই কৰা নাই নি?"

সন্ধ্যাই একো বুজি পোৱা নাছিল প্ৰথমতে। কি হ'ল ইয়াৰ! সি আকৌ ক'লে,

"নটিছত organizer ত অকল integrated MA ৰ হে নাম আছে যে। আমি নাযাওঁৱে নহ'লে।"

তেতিয়াহে তাইৰ মনত পৰিল যে তাই BA BEd ৰ নাম দিবলৈ পাহৰিলে। কিন্তু অভিমন্যুহঁতৰতো এতিয়া ক্লাছ নাই। তেন্তে সি দেখিলে ক'ত?

"সুনীতাই দেখি লৈ ফোন কৰিছে। তথাপি গৈ আছোঁ মই। পালোঁহিয়ে।" বুলি ফোনটো কাটিলে সি।

"সুনীতা পাগল নেকি অলপ? তাই দেখিছে আমালে ফোন কৰক। কথাটো ইমান বহলাব কিয় লাগে?" আৰিফৰ খঙেই উঠিছিল। সিহঁত গোটেই কেইটা খৰ খোজেৰে ডিপাৰ্টমেন্ট পালেগৈ। একে সময়তে অভিমন্যুও আহি পালেহি। সি খঙতে সিহঁতলৈ চোৱাও নাছিল। তাৰ লগতে সোমাই গৈ নটিছ বোৰ্ডখন দেখি আচৰিত হৈ গ'ল সন্ধ্যা

Kaushik

অভিমন্যু চবেই। কাৰণ সুনীতাই কোৱাৰ দৰে ইয়াত তেনেকুৱা একো খেলি মেলি হোৱা নাই। প্ৰথমেই BA BEd ৰ নামেই আছে।

"ঐ সুনীতা, তই অন্ধ নে চকু কেইটা হাতত লৈ ঘূৰ?" অভিমন্যুয়ে খঙেৰে ক'লে।

"ট্ৰাষ্ট মী য়াৰ। ইয়াত আমাৰ নাম নাছিলতো।"

সুনীতাৰ কথাত আকৌ খঙেৰে জুৰিয়ে ক'লে,

"তেন্তে এতিয়া ক'ৰ পৰা আহিল? ইমান হাল্লা কিয় কৰ?"

সুনীতা আঁতৰি গৈছিল গৈ। অভিমন্যুয়ে সিহঁত সকলোকে কৈছিল,

"বেয়া নাপাবি বে। মই এনেই এইচব শুনি তহঁতক যা তা কৈ পালোঁ।"

"ধুৰ, এতিয়া এইবোৰ বাদ দে। ব'ল, পেটিচ্ছৰ অৰ্ডাৰটো ফাইনেল কৰি আহোঁ।" বুলি আৰিফে লৈ গ'ল তাক। জুৰিহঁতো নিজৰ কামে কামে গ'ল।

নটিচ্ছ খনৰ সমুখত ৰৈ আছিল অকল সন্ধ্যা। সকলো আঁতৰি যোৱাৰ পাছত তাই হাতেৰে চুই চাইছিল সেইখন। কাৰণ কোনেও নাজানিলেও তাই জানে, সেইখন নটিচ্ছ যদিও হুবহু আগৰ খনৰ দৰেই কিন্তু তাই বনোৱা খন এইখন নহয়। তাইৰখনৰ সৈতে প্ৰতিটো ডিজাইন প্ৰতিটো আখৰ একেই কৰি কোনোবাই বনাইছে এইখন। মাত্ৰ সন্ধ্যাই লিখিবলৈ পাহৰা BA BEd শব্দটো ইয়াত আছে। বাকী ইমানেই একে যে সন্ধ্যাৰ বাহিৰে আন কোনেও চিনি পোৱা নাছিল। কিন্তু নটিচ্ছ খন সলালে কোনে? তাকো ইমান একে কৰি?

"ছৰী, তোমাৰ খন আঁতৰাই পেলাব লগা হ'ল।"

কাৰোবাৰ মাত শুনি সন্ধ্যাই পিছলৈ ঘূৰি চাই দেখে তাই লিখা নটিচ্ছখন হাতত লৈ ৰৈ আছিল ময়ূঁৰ।

"ময়ূঁৰ, তাৰমানে তুমি?" সন্ধ্যাই আচৰিত হৈ ক'লে। ময়ূঁৰে "চু---" বুলি মুখত আঙুলি দি মনে মনে থাকিবলৈ ইংগিত দিছিল। তাৰ পাছত লাহে লাহে কৈ গৈছিল,

"সুনীতাই এইখন চাই অভিমন্যুলৈ ফোন কৰাৰ লগে লগে মই নতুন এখন বনাই দিলোঁ।"

"ময়ূঁৰ, ইউ আৰ দা গ্ৰেট। থেংক ইউ চ' মাচ্চ। তুমি সঁচাকৈ বচালা আজি মোক।"

Kaushik

সন্ধ্যাই ফুৰ্তিতে ময়ূঁৰৰ হাতত ধৰি কৈছিল। ময়ূঁৰে তাৰ শান্ত মাতটোৰে আকৌ ক'লে,

"কিন্তু সন্ধ্যা, সুনীতাহঁতৰ ক্লাছ আজি এইটো সময়ত নাছিলেই। সিহঁত হোষ্টেলত আছিল। আৰু ডিপাৰ্টমেণ্টত সুনীতাৰ বেলেগ কামো একো নাছিল। মই নিজেই দেখিছোঁ, তাই আহিয়ে নটিছ বোৰ্ডখন চেক কৰিছে আৰু অভিলৈ ফোন কৰি ওলাই গৈছে। তাৰমানে তাইক আমাৰ কোনোবাই নিশ্চয় খবৰ দিছে যে নটিছত BA BEdৰ নাম নাই।"

"কিন্তু কোনে কৰিছে?" সন্ধ্যাই সুধিলে।

দুখোজ আগবাঢ়ি গৈছিল ময়ূঁৰ। নিজকে কোৱাৰ দৰেই সি ক'লে,

"সেইটোৱেইতো উলিয়াব পৰা নাই। কিন্তু কোনোবাটো আছে। সেই প্ৰথমৰ পৰা এতিয়ালৈকে।"

একো উৰাদিহ নাপাই সন্ধ্যাইও চাই ৰৈছিল ময়ূঁৰলৈ।

Kaushik

ফ্ৰেচাৰ্ছৰ দিনা ৰাতিপুৱাৰে পৰা ব্যস্ততাত দৌৰি আছিল সন্ধ্যাহঁত। অৰ্ডাৰ দিয়া বস্তুবোৰ ঠিক মতে আহি পাইছে নে নাই তাৰ হিচাপ ৰাখিছিল অনুৰণে। ফ্ৰেচাৰ্ছ হ'ব লগা হলটো সাৰি চাফা কৰি পেলাইছিল প্ৰীতিষা আৰু জুৰিয়ে। প্ৰতিটো ডিপাৰ্টমেণ্টতে এটা এটা ডাঙৰ হল আছেই বাবে এনে প্ৰগ্ৰামবোৰ পাতিবলৈ খুব সুবিধা ইয়াত। এই হলবোৰতে পৰীক্ষাও হয় আৰু এনে অনুষ্ঠানবোৰো। পৰীক্ষাৰ সময়ৰ ভয়াৱহতাৰ সলনি এতিয়া হলটোত আনন্দ আৰু উছাহেৰে ভৰপূৰ। সঁচাই পৰিস্থিতিয়ে একে স্থানবোৰত সময়ৰ ভাঁজে ভাঁজে বিবিধ ৰহণ সানে। হলটো সাৰি হোৱাৰ পাছত অভিমন্যুয়ে ছিনিয়ৰ এজনৰ সহায়ত মাইকৰ ব্যৱস্থা কৰিছিল। হালধীয়া আৰু নীলা ৰঙৰ বেলুনবোৰ আঁৰি দিছিল বেৰত মনশ্ৰীহঁতে। লগতে বেৰত ৰঙা নীলা কাগজেৰে লিখি দিছিল, "Welcome Juniors"

সকলো ব্যৱস্থা হোৱাৰ পাছতে আবেলি ঠিক চাৰি মান বজাৰ পৰা অনুষ্ঠান আৰম্ভ হ'ল। নেহাই আঁত ধৰিছিল। প্ৰথমেই HoD মেমে নতুন খিনিক উদ্দেশ্যি ভাষণ দিলে। তাৰ পাছত আৰু দুই এজন প্ৰফেচাৰে দিলে। ইয়াৰ লগতেই দুই একৰ গান আৰু নাচ। তাৰ পাছত ময়ূঁৰৰ এটি স্বৰচিত কবিতা আবৃত্তি। ভিতৰত ব্যস্ত থকা সন্ধ্যাও উঠি

আহিছিল কবিতাটি শুনিবলৈ। ময়ূঁৰৰ কবিতা আবৃত্তি কৰিবলৈ একেবাৰে মন নাছিল। সি এনেও এই ভিৰৰ পৰা আঁতৰিয়ে থাকে। কিন্তু অভিমন্যুয়ে জোৰ কৰিছিল,

"তই যদি নকৰ, তেন্তে নামাতিবি আৰু মোক।

শেষত ময়ূঁৰ মান্তি হৈছিল। হাতত মাইকটো লৈ লাহে লাহে মাতি গৈছে,

"জ্যোতি তোৰণৰ ইপাৰে এখনি সেউজীয়া নগৰ..

য'ত বসন্ত নাহিলেও বলে বৰদৈচিলাৰ হুৰহুৰীয়া বতাহ..

য'ত সোৱণশিৰীৰ সোণবোৰ কপিলীৰ ৰূপোৱালী ঢৌৰে মিলি বৈ যায় সুবিশাল পবিতৰাৰ কাষেদি..

য'ত বাঁহীৰ মিঠা সুৰে আন্দোলিত কৰে সু উচ্চ কাঞ্চনজঙ্ঘাৰ শিখৰ..

নাহৰে য'ত আৱৰি ৰাখে চৰাইদেউক...

যৌৱনৰ উদ্দাম পৰশত ইয়াত সদায় জীৱন্ত হয় নীলাচল পাহাৰ...

য'ত সগৰ্বে নিজৰ অস্তিত্ব ঘোষণা কৰা পাটকাইৰ সিপাৰে আছে সকলোৰে সপোনৰ শৰাইঘাট...

যাৰ চোতালত নিতৌ ফুলে নৱ নৱ ফাগুণ..

প্ৰাগজ্যোতিকাৰ কাষত বোৱা ধনশিৰীৰ জীয়াঢলে কপাঁই নিৰিবিলিৰ নীৰৱ হৃদয়,

এয়াই তেজপুৰ বিশ্ববিদ্যালয়।"

জাউৰিয়ে জাউৰিয়ে হাত চাপৰিৰ শব্দ আহিছিল। ইউনিভাৰ্চিটীৰ প্ৰতিখন হোষ্টেলৰ নামেৰে সজোৱা কবিতাটি শুনি প্ৰফেচাৰ সকলো আপ্লুত হৈছিল। হাত চাপৰিৰ মাজতে লাজ লাজ কৈ আঁতৰি আহিছিল ময়ূঁৰ।

ইয়াৰ পাছতে লাভ লেটাৰ কম্পিটিচনৰ ফলাফল ঘোষণা কৰিছিল জুৰিয়ে। তিনিটা পুৰস্কাৰ ৰাখিছিল সিহঁতে। তৃতীয় পুৰস্কাৰটো পাইছিল প্লাবিতা নামৰ ছোৱালীজনীয়ে। তাই সন্ধ্যাহঁতৰ ছিনিয়ৰ জিষ্ণু দালৈ লিখিছিল। দ্বিতীয়টো কোনোবা ল'ৰা এটাই পাইছে। লিখিছে প্ৰেৰণা বা লৈ। সন্ধ্যাই প্ৰেৰণা বাক জোকাইছিল। প্ৰতি বছৰেই এখন হ'লেও চিঠি প্ৰেৰণালৈ থাকেই। জুৰিয়ে ঘোষণা কৰিছিল প্ৰথম পুৰস্কাৰ পোৱা জনৰ নাম,

Kaushik

"প্ৰথম পুৰস্কাৰ পাইছে চিৰঞ্জীৱ বৰঠাকুৰ। চিৰঞ্জীৱ, আহা আৰু তোমাৰ চিঠিখন পঢ়ি দিয়া।"

জপৰা চুলিৰ ল'ৰাজন উঠি আহিছিল। চিঠি খন হাতত লৈ আৰম্ভ কৰিছিল,

"মৰমৰ সন্ধ্যা....."

ভিতৰত থকা সন্ধ্যা চঁক খাই উঠিল। তাইলৈ লিখিছে? অভিমন্যুয়ে "oye hoye" বুলি তাইক টানি আনিলে। চিৰঞ্জীৱে পঢ়ি গৈছিল,

"কাঞ্চনৰ ৰংবোৰ হাঁহিৰে আজুৰি অনা ছোৱালীজনী সন্ধ্যা, ইউনিভাৰ্চিটীৰ গলীবোৰত মায়াসনা মায়াবী খোজৰ ছোৱালীজনী সন্ধ্যা, চকুৰ চাঁৱনিৰে হৃদয়ত কৃষ্ণচূড়া ফুলাব পৰা ছোৱালীজনী সন্ধ্যা..."

সন্ধ্যাই চকুৰ পলক জপাবলৈও পাহৰি গৈছিল। এনেকৈও তাইৰ কথা কোনোবাই ভাবিব পাৰে, লিখিব পাৰে ! চিঠিখনৰ শেষত চিৰঞ্জীৱে লিখিছিল,

"বেছি আশা নকৰোঁ। মাত্ৰ মন আছে তোমাৰ সৈতে এমুঠি জোনাক বুটলাৰ।"

গোটেইবোৰৰ চিঞৰ আৰু হাত চাপৰিত ৰজনজনাই গৈছিল হলটো। জুৰিয়ে সন্ধ্যাক হাতত ধৰি টানি লৈ গৈছিল সমুখলৈ। তাৰ পাছত চিৰঞ্জীৱক কৈছিল,

"এইয়া সন্ধ্যা সমুখত আছে। কিবা ক'ব খুজিবা নেকি?"

তলমূৰ কৰি সি মাত্ৰ ক'লে,

"ভাল লাগে আপোনাক।"

আকৌ চবৰে উকি আৰু চিঞৰ। লাজতে আঁতৰি অহা চিৰঞ্জীৱক অভিমন্যুয়ে চিঞৰ এটা মাৰি কৈছিল,

"ভাই, তই মোৰ লগত কন্টেক্ট কৰিবি। পতাই দিম মই।"

সৰু ল'ৰাটোলৈ সন্ধ্যাৰ মৰম লাগিছিল। "বেচেৰা, লাজ লাগিল অ' তাৰ।" বুলি তাই ব্যস্ত হৈছিলহি কামত। এইবোৰৰ মাজতে খোৱা বোৱাৰ যা যোগাৰ চলিছিল। ভিতৰৰ ৰুম এটাত প্ৰীতিষাহঁতে জুচবোৰ বনাই গিলাছত সজাই আছিল। তাৰ কাষতেই অভিমন্যু আৰু ৰাজদ্বীপে পেটিছ আৰু মিঠাই ডিচত সজাইছে। পেটিছখিনি আহি

Kaushik

পাওঁতেই অভিমন্যুয়ে এটা "টেষ্ট কৰোঁ ৰহ" বুলি মুখত ভৰাব চাইছিলেই। সন্ধ্যাই থাপ মাৰি আনিলে তাৰ পৰা,

"খঁকুৰা, আহি পাইছেহে। এতিয়াই খাবৰ হ'লেই।"

সন্ধ্যাহঁতে প্ৰফেচাৰখিনিক দি লৈছে প্ৰথমতে। লগে লগে জুনিয়ৰ খিনিকো। এবাৰ ভিতৰ এবাৰ হললৈ অহা যোৱা কৰি থকা সন্ধ্যা ভাগৰিছিল যদিও কামৰ হেঁচাত বৈ যোৱা নাই। ডিপাৰ্টমেণ্টটোত এশৰো ওপৰ ষ্টুডেণ্ট। গোটেইবোৰক খোৱাই বোৱাই আজৰি হওঁতেই কিমান সময় লাগে ঠিক নাই। দৌৰা দৌৰিৰ মাজতে এবাৰ তাইৰ মোবাইলটো বাজিল। অনুৰণৰ নামটো দেখি অলপ আঁতৰি ফোনটো উঠালে।

"আজৰি হৈছা যদি এবাৰ বেলকণিলৈ আহাচোন।"

মিচিকিয়াই ফোনটো কাটিলে সন্ধ্যাই। প্ৰিয়জনৰ মাতটোতকৈ ভাল লগা সংগীত চাগে পৃথিৱীত একোৱেই নাই। লাহে লাহে মানুহখিনিক দি হৈছেগৈ আৰু। হলটোত থকা প্ৰায় সকলোৱেই পালে। কাষৰ ৰুমটোত কামত লাগি থকা অভিমন্যুকে ধৰি সন্ধ্যাহঁতৰ লগৰ গোটেই ল'ৰা ছোৱালীখিনিয়েও খাবলৈ লৈছিল। সকলো আটিলে যদিও চৰ্বত অলপ কম পৰিল। অৱশ্যে তাৰ কাৰণ সন্ধ্যাইও জানে। বটল কেইটা আনি থোৱাৰে পৰা ইজনীয়ে এগিলাছ সিজনীয়ে এগিলাছ খাইয়ে আছিল। তথাপি প্ৰফেচাৰ সকল আৰু জুনিয়ৰখিনিয়ে খাবলৈ পালে বাবে ইমান চিন্তা নাই বাৰু। তেওঁলোকে নোপোৱা হ'লেহে লাজৰ কথা হ'লহেঁতেন। মিঠাই থকা বাকচটোৰ পৰা মিঠাই এটা কাগজেৰে মেৰিয়াই সুযোগ বুজি এপাকত সন্ধ্যা ওপৰ পালেগৈ। সিহঁতৰ ক্লাছটোৰ কাষতে বহল বেলকণিটো। কাষে কাষে ফুলৰ টাব। আৰু সমুখত আধালৈকে পৰা পকা ৰঙা ৰঙৰ ৰেলিং। সোমায়েই দেখিছিল তাত অনুৰণ বৈ আছে। সন্ধ্যাও কাষতে ৰ'লগৈ। ইয়াৰ পৰা সমুখৰ পুখুৰীটো গোটেইটো দেখা যায়। কাষৰ ওখ পলাশজোপাৰ পৰা বতাহত দুই এটা পাতো উৰি আহে। সময়খিনি সেই আন্ধাৰ পোহৰৰ মাজৰ আছিল। বেলিটোৱে এৰি যোৱা ৰংখিনি বুকুত সাৱটি আকাশে বেলকণিটো ৰঙীন কৰি তুলিছিল। সন্ধিয়াৰ পৰশত এটি পাতল নীলা ৰঙো যেন বিয়পিছিল। মাজে মাজে এচাটি বতাহ। সন্ধ্যাই গৈ পোৱাত অনুৰণে ক'লে,

"আহিলা?"

সন্ধ্যাই লৈ অনা কালাগনটো অনুৰণলৈ আগবঢ়াই দিলে,

Kaushik

"লোৱা।"

"মই খালোতো।" সি ক'লে।

"মই জানো, তুমি কালাগান ভাল পোৱা বুলি।"

অনুৰণে হাঁহি মাৰি লৈ থাইছিল মিঠাইটো। সন্ধ্যাই তেতিয়াহে মন কৰিলে, অনুৰণে হাতত এগিলাছ চৰ্বত লৈ আছিল।

"এই গিলাছ খাই লোৱা। দৌৰি আছা অথনিৰ পৰা।"

চৰ্বতৰ গিলাছটো তাইলৈ আগবঢ়াই দি অনুৰণে কৈছিল। সন্ধ্যাই ওলোটাই ক'লে,

"চৰ্বত বহুতেই নাপালে।"

অনুৰণে হাঁহি মাৰি ক'লে,

"তোমাৰ বাহিৰে কাম কৰি থকা গোটেইবোৰে খালে।"

হয়, সন্ধ্যাইও দেখিছিল জুৰি, প্ৰীতিষা চবেই চৰ্বত খাইছিল। তাইহে ইচ্ছা কৰি খোৱা নাই। কিন্তু কোনেও মন নকৰিলেও অনুৰণে মন কৰিছিল কথাটো। সি গিলাছটো আনি সন্ধ্যাৰ ওঁঠৰ আগত লগাই দিলে। সন্ধ্যাইও পি দিছিল চৰ্বতখিনি। তলতে অলপ থকাত মুখখন আঁতৰাই দিলে সন্ধ্যাই। বেলকণিটোৰ কাষতে উকা পলাশজোপা। পলাশৰ ৰং নাছিল তাত। তথাপি অনুৰণ সন্ধ্যাৰ বাবে যেন আজি ফাগুণ। তাইৰ ওঁঠৰ কাষত লাগি ৰোৱা টোপালটো হাতেৰে মচি দিলে অনুৰণে। আস, আকৌ শিয়ৰি গৈছে সন্ধ্যা। ইমান আলফুল অনুৰণৰ পৰশ। পুৱাৰ নিয়ৰ পৰি থকা ফুলৰ পাহিবোৰৰ দৰে চেঁচা। তাই কঁপি যায়। অনুৰণৰ চকুলৈ চাইছিল সন্ধ্যাই। কি আছে বাৰু এই শান্ত চকুহালত! তাইৰ দৰেই ভালপোৱা আছে নে? একো কোৱা নাই সন্ধ্যাই। একো কোৱা নাই অনুৰণে। তথাপিও যেন এনে লাগে সি যেন সকলো জানে। সেই প্ৰথমৰ পৰা এতিয়ালৈকে সকলোৰে আঁৰত থাকিও তাইক আৱৰি ৰাখে সি। কিজানি তাৰ মনতো আছে সন্ধ্যাৰ প্ৰতি সেউজীয়া অনুভৱ। তাই নোকোৱাকৈও প্ৰতিটো কথা বুজি পোৱা অনুৰণে সঁচাই কি একো বুজা নাই। নক'লেই যেনিবা তাই খুলি। অনুভৱবোৰ নুবুজিবলৈ সি তো ইমান অবুজন নহয়।

"মই যাওঁ দিয়া। তলত বিচাৰি থাকিব।" বুলি সন্ধ্যা আঁতৰি আহিছিল অনুৰণৰ কাষৰ পৰা। নাই, তাই বেছি সময় থাকিব নোৱাৰে তাৰ সমুখত। ভয় লাগে, যদি

তাই কৈ পেলাই মনৰ কথাষাৰ! যদি হেৰোৱাব লগা হয় অনুৰণক! তাতকৈ থাকক। এটি সেউজীয়া অনুভৱ হৈ অনুৰণ তাইৰ বুকুতে বৈ থাকক। নোকোৱা কবিতাবোৰৰ মাদকতা এনেও বেছি।

তাই আঁতৰ হোৱাৰ পাছত গিলাছটো চাইছিল অনুৰণে। সন্ধ্যাৰ ওঁঠৰ লিপষ্টিকৰ এটি পাতল প্ৰলেপ ৰৈ গৈছিল তাত। অনুৰণে নিজৰ ওঁঠখনেৰে চুমি দিছিল সেই ঠাইখিনি। গিলাছটোত বাকী থকা চৰ্বতকণ লাহে লাহে গিলিছিল। এক প্ৰশান্তিত চকুহাল মুদি দিছিল অনুৰণে। বেলকনিটোত তেতিয়া সম্পূৰ্ণ এন্ধাৰ। তলত হলটোৰ ভিতৰত প্ৰগ্ৰাম চলিয়ে আছিল। কোনোবা ল'ৰা এটাই "মন যায়"টো গাই আছিল। সন্ধ্যা গৈ হলটোৰ সমুখ পাওঁতে শুনিছিল সেই কলিটো,

"মোৰ বুলিবলে আছেহি বুকুত মৌ মিঠা তোমাৰে অনুভৱ,

ভয় লাগে জানা কথাৰে ক'বলে নাম দিয়া জানোছা শিহৰণ,

....

মন যায় মন যায় মন যায়....."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 87

লাহে লাহে ইউনিভাৰ্চিটীৰ পৰিৱেশ সন্ধ্যাহঁতে ভবাতকৈও বেছি সলনি হৈছিল। সন্ধিয়াৰ সময়ত Essentialৰ হুলস্থুলবোৰ আগতকৈ যেন অধিক বাঢ়িছিল। আগতেও আছিল কিন্তু এতিয়া তাত চিঞৰ বাখৰবোৰ যেন কিছু বেছি। আগতে ভিচিৰ গাড়ীখন হঠাৎ ওলাইহি বুলিয়েই সুৰাসুৰ হৈ থাকে সকলো। আজিকালি সেই ভয় নাই। ফিল্ডৰ কাষৰ ৰাস্তাত দাঁতিত বহাৰ নিয়মটো নাছিল। কিন্তু আজিকালি এন্ধাৰ হোৱাৰ লগে লগে পুলকেইটাত বহাতকৈ ৰাস্তাৰ দাঁতিত বহা লোকৰ সংখ্যাহে সৰহ। ইফালে নিৰিবিলিৰ বেঞ্চতো আগতে আঠ বজাৰ পাছত বহা নিষেধ আছিল। কিন্তু এতিয়া তাতো কোনো বাধা নাই। বহুলোকে ইয়াত অৰাজকতা চলিছে বুলি অভিযোগ কৰিছিল যদিও সঁচা অৰ্থত ইউনিভাৰ্চিটীৰ জীৱনটো যেন এতিয়াহে ক'ৰবাত বিয়পি পৰিছিল। হাঁহিটো জোৰকৈ মাৰিলেই সংকোচ, ভয় এইবোৰ নোহোৱা হোৱাত চাৰিওফালে এক নতুন

প্ৰাণৰ সঞ্চাৰ হৈছিল। তাতে পৰীক্ষা কমি যোৱাত ল'ৰা ছোৱালীবোৰে আজৰি সময়ো পাইছিল যথেষ্ট। প্ৰেচাৰ আছিল সঁচা, কিন্তু আগৰ দৰে উশাহ বন্ধ হ'বলগীয়া অৱস্থা হোৱা নাছিল। মুঠতে এক কথাত ক'ব গ'লে ইমান দিনে সকলোৱে বিচাৰি থকা চমৎকাৰটো যেন সঁচাই ঘটিছিল।

এইবোৰৰ মাজতেই ঘোষণা হৈছিল তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিষদৰ নিৰ্বাচন। আন বিশ্ববিদ্যালয় সমূহৰ দৰে তেজপুৰ বিশ্ববিদ্যালয়ত ছাত্ৰ একতা সভা অৰ্থাৎ ইউনিয়ন বডী নাথাকে। তাৰ পৰিৱৰ্তে ইয়াত ছাত্ৰ পৰিষদ অৰ্থাৎ ষ্টুডেণ্ট কাউন্সিলহে গঠন হয়। এই ষ্টুডেণ্ট কাউন্সিলৰ কাৰ্য কলাপো অকল বিশ্ববিদ্যালয়ৰ চাৰিসীমাৰ মাজতেই সীমাবদ্ধ। নিৰ্বাচন বুলি যোৱা দুটা বছৰে সন্ধ্যাহঁতে তেনে কোনো বিশেষ আয়োজন দেখা নাছিল। প্ৰথম বছৰততো গমেই নাপালে কেতিয়ানো হৈ গ'ল। কিন্তু এইবাৰ দিন ঘোষণা কৰাৰ পৰাই যি কুঁচ কাৱাচ দেখিছে সকলো আচৰিত। বেলেগৰ দৰে তেজপুৰ ইউনিভাৰ্চিটীৰ ইলেকচনত কোনো আছু নাইবা যুৱ কংগ্ৰেছে ভাগ নলয়। তাৰ পৰিৱৰ্তে বয়জ হোষ্টেল কেইখনৰ মাজতে প্ৰতিযোগিতাৰ দৰে হয়। নাই, হয় বুলি ক'লে সঠিক নহ'ব। কাৰণ যোৱা দুবছৰে তেনে ইলেকচনক লৈ কোনো প্ৰতিযোগিতা দেখা নাছিল। কিন্তু এইবাৰ যেন সঁচাই তেনে প্ৰতিযোগিতা আৰম্ভ হৈছে। এইক্ষেত্ৰত ইউনিভাৰ্চিটীৰ মাজতে এইবাৰ দুটা দল গঠন হ'ল। এটা কাঞ্চনজংঘা আৰু পাটকাই। আনটো নীলাচল আৰু চৰাইদেউ। শৰাইঘাট কোনফালে আছে স্পষ্ট নহয় আৰু গাৰ্লচ হোষ্টেলবোৰো কোনখন কাৰ ফালে কোনেও নাজানে। কিন্তু দুইটা দলে প্ৰতিখন গাৰ্লছ হোষ্টেলক নিজৰ ফালে টানিবলৈ আপ্ৰাণ চেষ্টা চলাইছে।

পাটকাইৰ পৰা ভাইচ প্ৰেচিডেণ্ট আৰু কালচাৰেল চেক্ৰেটাৰী ইফালে কাঞ্চনজংঘাৰ পৰা জেনেৰেল চেক্ৰেটাৰী আৰু প্ৰেচিডেণ্ট প্ৰক্ষেপ কৰিছে। সিহঁতে একেলগে জোঁট বান্ধি লোৱাৰ বাবেই প্ৰচাৰো একেলগেই কৰিছে। আনহাতে সেইদৰেই নীলাচল আৰু চৰাইদেউৰ জোঁট বন্ধনৰ মাজত নীলাচলৰ পৰা জেনেৰেল চেক্ৰেটাৰী আৰু প্ৰেচিডেণ্ট লগতে চৰাইদেউৰ পৰা ভাইচ প্ৰেচিডেণ্ট প্ৰক্ষেপ কৰা হৈছে। লিষ্ট ওলোৱা দিনাৰ পৰাই জোৰদাৰ প্ৰচাৰ। এইবাৰ ইলেকচনৰ কাৰু কাৰ্য দেখি সন্ধ্যাহঁত প্ৰথমেই অবাক হৈছিল যদিও পিছলৈ সিহঁতো প্ৰচাৰত নামি পৰিল। যোৱা বছৰ ভাৰ্চিটী উইকত একেলগে পৰাত পাটকাইৰ লগত সোৱণশিৰীৰ এক ভাল সম্পৰ্ক আছিলেই। তাৰে পৰিণতিত সোৱণশিৰীয়ে প্ৰত্যক্ষ ভাৱে পাটকাই আৰু কাঞ্চনজংঘাৰ হৈ প্ৰচাৰত নামিছিল। লগতে

kaushik

পাটকাইৰ কাষৰ নিউ ৱমেনচো সিহঁতৰ ফালে আছিল। কথাতে কয় বোলে "ওলায়ে দেখিবা যাক, শতৰু নুবুলিবা তাক"। এই নিয়ম মানিয়েই যেন পাটকাইক সমৰ্থন দিছিল নিউ ৱমেনচে। তাৰ লগতে অৱশ্যে যিকোনো কামত লাগ বুলিলেই পাটকাইৰ ল'ৰাকেইটাক থাওকতে পোৱাৰ বাবেও সিহঁতৰ লগত সৌহাদ্যপূৰ্ণ সম্পৰ্ক আছিল। কোনো কোনোৱেতো কয় ইউনিভাৰ্চিটীৰ হেনো বেছি ভাগ জোৰাই পাটকাই আৰু নিউ ৱমেনচৰ। সোৱণশিৰী আৰু নিউ ৱমেনচৰ দৰেই ধনশিৰী আৰু কপিলীয়ে দেখ দেখকৈ নীলাচলৰ ফালে সমৰ্থন আগবঢ়াইছিল। অৱশ্যে বাকী কেইখন গাৰ্লচ হোষ্টেল প্ৰত্যক্ষভাৱে কাৰো ফালে নাছিল। লাহে লাহে ইউনিভাৰ্চিটীৰ পৰিৱেশটো সাংঘাতিক ভাৱে সলনি হৈ গৈছিল। এন্ধাৰ হোৱাৰ লগে লগেই হোষ্টেলে হোষ্টেলে প্ৰচাৰ, ৰাতি প্ৰতিখন হোষ্টেলত প্ৰিফেক্টৰ গোপন মিটিং, ৰুমে ৰুমে ফুচফুচ মেল আৰু ৰাতিপুৱা ক্লাছবোৰত নানানটা উৰাবাতৰি এই সকলোবোৰে ইউনিভাৰ্চিটীক অন্য এটি ৰূপহে দিছিল।

Kaushik

পখীৰ ওচৰত সদায় গৰম খবৰ থাকেই। গতিকে সন্ধ্যাহঁতৰ ৰুমটো ৰাতি আড্ডাথলীলৈ সলনি হয়। কংকনা, ভাস্বতী, প্ৰিয়া, পল্লৱী আৰু তৃষ্ণাও আহি বহি লয়হি। পখীয়ে মাজত বহি লৈ কৈ যায়,

"আজি বুইছ, নীলাচলৰ কোনোবা ল'ৰা এটাই নিউ ৱমেনচত বৰ বেয়া ব্যৱহাৰ কৰিলে নহয়। সিহঁতে যে পাটকাইক চাপোৰ্ট কৰিছে, গতিকে জ্বলিছে আকৌ। শুনিছোঁ তাত কেম্পেইনিং কৰি উভতি আহোঁতে বেয়া মাত মাতি আহিছে।"

"কি কঁৰ? মই আকৌ শুনিলোঁ পাটকাইৰ কোনোবা ল'ৰাইহে হেনো ভিতৰৰ পৰা চিঞৰি বেয়াকে কৈছিল।"

তৃষ্ণাই মাজতে কয়। পখীয়ে লগে লগে ভেকাহি মাৰি আহে,

"ইচ, কথা শুনিছ। এইবোৰ সিহঁতে নিজে উলিয়াইছে। পাটকাইৰ ল'ৰাকেইটা বৰ ভদ্ৰ ল'ৰা কিন্তু হয় নাই ক?"

ভাস্বতীহঁতে লগে লগে শলাগে,

"হয় হয় দেই। বৰ ভাল কিন্তু।"

আকৌ কেতিয়াবা পল্লৱীয়ে কয়,

"এই বৰদৈচিলাখন তলে তলে নীলাচলৰ লগতে আছে বুইছ?"

"তই কেনেকে জানিলি?" ভাস্বতীয়ে সোধে। পল্লৱীয়ে ফুচফুচাই কয়,

"কিয়, বৰদৈচিলাৰ প্ৰিফেক্ট ৰেখাৰ বয়ফ্ৰেণ্ড মঞ্জিল নীলাচলৰ নহয় নেকি কিবা?"

লগে লগে তৃষ্ণাই কয়,

"কি কঁৰ? মই আকৌ সিদিনা ৰেখাক শৰাইঘাটৰ ৰিচাৰ্ছ স্কলাৰ এটাৰ লগত দেখিছোঁ নিৰিবিলিৰ ফালে যোৱা।"

লগে লগেই গোটেই কেইজনীৰ উৎপাত লাগে,

"কি? কচোন ক। ভালকে"

"কোন ডিপাৰ্টমেন্টৰ?"

"ওখ কে নেকি বাৰু অলপ?"

মুঠতে কতনো কথা, কতনো খবৰ ইলেকচনৰ। কোনটো হোষ্টেলৰ ল'ৰাই কালৈ বেয়াকে চালে, কোনজনী প্ৰিফেক্টে কাৰ কথা ভালকৈ ক'লে চব গৰম খবৰ অহা যোৱা কৰি থাকে এই মেলবোৰৰ মাজেৰে। সন্ধ্যাই সাধাৰণতে এইবোৰৰ মাজত ভাগ নলয় যদিও ইহঁতৰ কথা শুনিবলৈও বাধ্য। কেতিয়াবা তাই অশান্তি পাই ধমকো দিয়ে,

"ঐ, হ'ব আৰু। কিমান লোকৰ কথা খুচৰি থাক তহঁতে।"

"হেই এইজনী। মনে মনে থাক। ওলাল বৰ যুধিস্থিৰ তাই। এইবোৰ খবৰ কিমান লাগতিয়াল কি জানিবি?"

পখীয়ে ভেকাহি মাৰি আহে। সন্ধ্যাই মূৰে কঁপালে হাত দিয়ে। "এই ইলেকচনটোৱে ইহঁতৰ মূৰকেইটা চোবালে" বুলি ভোৰভোৰাই তাই।

আনহাতে পাটকাইতো একেই অৱস্থা। ভাতকেইটা খাই অভিমন্যুৰ ৰুমত প্ৰিয়ানুজ, অনুৰণ, তৌফিক, বিনোদ, ৰক্তিম, মানস গোটেই কেইটা গোট খায়। অভিমন্যুয়ে মাজে মাজে ময়ূঁৰকো চোঁচৰাই। সি কেতিয়াবা আহে, কেতিয়াবা নাহে। প্ৰিয়ানুজে দীপককো মতাই আনে। সি থাকিলে ভাল জমি থাকে। কাঞ্চনজংঘা আৰু পাটকাই মিত্ৰশক্তি যিহেতু বিশেষ সমস্যা একো নাই। প্ৰথমে মানসেই কৈ যায়,

Kaushik

"প্ৰাগজ্যোতিকাৰ ভোট আমিয়ে পাম বুইছে প্ৰিয়ানুজ দা। আমাৰ এই আছে নহয়। মেনেজ কৰিব তাই।"

"আমাৰ এই" বুলি মানসে কাৰ কথা কৈছে বুজিবলৈ বাকী নাথাকে এটাৰো। দীপকে লগে লগে চিঞৰি উঠে,

"বাদ দিয়াহে তোমাৰ তাইৰ কথা। এইখন শহুৰৰ ঘৰ পাইছা? মইতো কওঁ প্ৰচাৰলে যাওঁতে আমাৰ ল'ৰাহঁতে অলপ নাচ গান কৰিব লাগে। তেহে বুলিবা।"

"সেইটো হয়। মাজতে আমাৰ বিদ্যুতে সিদিনা বৰদৈচিলাৰ আগত নীলাচলৰ ল'ৰা এটাক দম দিছিলেই; আমি ৰখালোঁ বুলিহে।"

ৰক্তিমে কথাটো কোৱাৰ লগে লগেই অভিমন্যুয়ে ক'লে,

"নহয় অ' ভুলটো ল'ৰাটোৰে। সি হে প্ৰথমতে"

অভিমন্যুৰ কথাৰ মাজতে প্ৰিয়ানুজে কয়,

"ভুল যাৰেই নহওঁক, চবকে ক'বা ইলেকচন হৈ নোযোৱা লৈকে যাতে একো হুলস্থুল নকৰে।"

তাৰ কথাত সকলোৱে হয়ভৰ দিয়ে। অনুৰণে বৰ বিশেষ একো নকয়। কোনোবাই কিবা সুধিলেহে উত্তৰটো দিয়ে। আলোচনাৰ মাজে মাজে দীপকে সকলোকে চাহ বনাইও খোৱায়। মাজৰাতি চাহ বিস্কুটৰ জুতি লৈ ইলেকচনৰ গৰম খবৰ আলোচনা কৰাৰ নিচা পোৱাসকলেহে জানে। ইয়াৰ মাজতে আকৌ প্ৰিয়ানুজে কটনৰ কথাও উলিয়াই,

"ইলেকচন চাবা কটনৰ। কেনেকুৱা টক্কৰ লাগে। এফালে MNDP সিফালে SNBC। চিঞৰেই চিঞৰ, এ–ম এ––ন ডি–––পি।"

প্ৰিয়ানুজে সুৰটোত চিঞৰি শুনাই দিয়ে। মানসে সোধে,

"প্ৰিয়ানুজ দা, আপুনি খেলা নাছিল নে ইলেকচন?"

উৎসাহ পাই প্ৰিয়ানুজে আকৌ আৰম্ভ কৰে,

"মই হোষ্টেলত নাথাকিলোৱে নহয়। ৰুমলৈহে থাকোঁ। ইফালে তাত আকৌ হোষ্টেলৰ ল'ৰাক হে উঠায়। তাৰ মাজতে এবাৰ বুইছা কি হ'ল?"

লগে লগে গোটেই কেইটা ওচৰ চাপি আহে,

Kaushik

"কওঁক কওঁক।"

প্ৰিয়ানুজে কৈ যায়,

"এবাৰ আৰু এটা হোষ্টেলৰ পৰা মোক উঠাম বুলি ক'লেই নহয় ইলেকচনত। সেইটো আকৌ আছুৰ হোষ্টেল দেই। তাততো এইবোৰহে আৰু। মইও সাজু হ'লো উঠিম বুলি। তাৰ পিছতেইতো হাল্লা। সেইটো হোষ্টেলৰ লগত পেক হৈ থকা হোষ্টেল কেইটাইতো নামানে। হোষ্টেলৰ বাহিৰৰ ল'ৰাক উঠাব নোৱাৰে। শেষত গৈ মই হোষ্টেলত ছিটো ল'লো। তেও গোটেই কলেজ তল ওপৰ যে আছুৱে এইবাৰ হোষ্টেলৰ বাহিৰৰ ল'ৰা উঠাইছে। শেষত উপায় নাপাই মই নামি বেলেগ এটাক উঠালোঁ। তাকো কিন্তু মইয়ে শিকাই বুজাই দিছোঁ দেই। শেষত যেনিবা সিয়েই জিকিল।"

অভিমন্যুহঁতে সাধু শুনাৰ দৰে মুখ মেলি শুনি থাকে কটনৰ কাহিনী। সঁচাই, বাকীবোৰ ইউনিভাৰ্চিটীত ইলেকচন বুলি ক'লে এমাহৰ আগৰ পৰাই উৎপাত আৰম্ভ। ইয়াততো সেইবোৰ একোৱেই নাই। তথাপি এইবাৰৰ সালসলনিতো সিহঁতে ভাল পাইছে। লাহে লাহে ইয়াতো ছাত্ৰ ৰাজনীতি সোমাই পৰিব বুলি দুই একে আশাও কৰিছে।

Kaushik

এইবোৰৰ মাজতেই ইলেকচনৰ দিন ওচৰ চাপিল। সিদিনা অপেন ডিবেটো হৈ গ'ল। দুয়োটা জি এচ প্ৰাৰ্থীয়েই নানান প্ৰতিশ্ৰুতিৰ কথা ব্যক্ত কৰিলে,

"লাইব্ৰেৰীৰ ৰিডিং ৰুমত এচিৰ বাবে আবেদন কৰিম।"

"ছোৱালীৰ ইন টাইম উঠাবলৈ পদক্ষেপ ল'ম।" ইত্যাদি ইত্যাদি।

অৱশ্যে বহুতেই জানে, এইবোৰ সম্পূৰ্ণ কৰাৰ সামৰ্থ্য কাউন্সিলৰো নাই।

তেনেকৈই ইলেকচন পালেহি। ৰাতিপুৱাৰে পৰাই অভিমন্যুহঁতে ৰুমে ৰুমে গৈ ল'ৰাবোৰক জগাইছিল আৰু সিহঁতৰ প্ৰাৰ্থীকেইটাক ভোট দিবলৈ কাগজখন দি আহিল।

সোৱণশিৰীতো উখল মাখল। ক্লাছ থাকিলেও আঠটাত সন্ধ্যাই চিঞৰি চিঞৰি জগাব লগা পথী আজি সন্ধ্যাতকৈও আগতে উঠি গা পা ধুই আজৰি। কমন ৰুমত ছোৱালীহঁতক মাতি নি পাটকাই আৰু কাঞ্চনজংঘাৰ প্ৰাৰ্থী কেইটাৰ নাম সহকাৰে চিনাকি কৰাই দিছিল।

দহটাৰ পৰাই ভোটদান আৰম্ভ। চবৰে নিজৰ নিজৰ ডিপাৰ্টমেণ্টতে ভোটদান হৈছে। অনুৰণহঁত তাতেই ৰৈ আছিল ৰাতিপুৱাৰ পৰা। পখীয়ে লগ ধৰিছিল যদিও সন্ধ্যা ৰাতিপুৱাই নগ'ল। অলপ দেৰিকৈ ওলাল তাই। ডিপাৰ্টমেণ্টত সোমাই ভোট দি আহি অনুৰণহঁতৰ লগতে অলপ লেকচাৰ মাৰি ৰুম পালেহি।

ৰাতিলৈ ৰিজাল্ট ওলাব। সন্ধিয়াৰে পৰা গোটেই কেইখন হোষ্টেলৰ আগফালে, কমন ৰুমত মানুহৰ ভিৰ। কিজানি কিবা খবৰ আহিছেই। পখী গোটেইজনী ৰ'বই পৰা নাই। কংকনাহঁতক লগত লৈ তাই আৰ তাৰলৈ ফোন কৰি তৎ পোৱা নাই। মাজে মাজে অভিমন্যুলৈ ফোন কৰি সোধে,

"কিবা খবৰ আহিছে নে?"

উত্তৰ একো নাপায়। কাউন্সিলত বহুকেইটা পদ আছে যদিও সকলোৱে জি এচ মানে সাধাৰণ সম্পাদকৰ বাবেই বেছি আশা কৰি আছে। অৰ্থাৎ জি এচটো জিকিলে বাকী কেইটা নিজিকিলেও বৰ কেচ নাই। এইটো মনোভাৱ চবৰে। কাৰো চকুত ঘুমটি নাই। আমাৰ দীপকে টেবুলতে চাকি এগছ জ্বলাইছে,

"ধৰ্মৰ জয় হওঁক।"

Kaushik

অভিমন্যু আৰু প্ৰিয়ানুজে মাজে মাজে ৰাস্তালৈ অহা যোৱা কৰি আছে। ময়ূঁৰ আৰু অনুৰণে ছাদৰ ওপৰতে বহি ছিগাৰেট জ্বলাইছে। লগতে কাণ উনাইও আছে তলত বা কি খবৰ আহিছে।

কিছু সময়ৰ পাছতে খবৰ আহিল। কিন্তু অভিমন্যুহঁতে আশা কৰাৰ দৰে নহয়। নীলাচল আৰু চৰাইদেউৰ উৎকট চিঞৰ কেইটাৰ পৰা সিহঁতে অলপ চলপ অনুমান কৰিছিল যদিও কোনেও কাকো একো কোৱা নাছিল। কিন্তু এতিয়া অফিচিয়েলি খবৰ আহিয়ে গ'ল। অকল প্ৰেচিডেণ্টটোৰ বাহিৰে বাকী গোটেই কেইটা পদতে কাঞ্চনজংঘা আৰু পাটকাইৰ প্ৰাৰ্থী হাৰিল। নীলাচল আৰু চৰাইদেউৰেই জিকিল। ওন্দোলা মুখবোৰ লৈ পাটকাইৰ ল'ৰাখিনি সমুখৰ ৰুমটোতে বহি আছিল। ইমান দিনৰ প্ৰচাৰ, কষ্ট যেন অথলে গৈছিল। হুঁমুনিয়াহ সৰিছিল গোটেই ল'ৰাখিনিৰ। অলপ আগলৈকে উছাহেৰে ভৰি থকা চকুবোৰত যেন কিবা হতাশা। সকলোৱে জানে এই ফলাফলত কাৰো বিশেষ লাভ একো নহয়। অপ্ৰিয় হ'লেও সত্য যে তেজপুৰ ইউনিভাৰ্চিটীৰ নিয়মেই এনেদৰে বনাই

থোৱা আছে যে ইয়াত ষ্টুডেন্ট কাউন্সিলৰ ভূমিকা কেৱল এডমিনিষ্ট্ৰেচনৰ আজ্ঞা পালকৰ দৰেহে। তথাপি যেন ল'ৰাখিনি আজি ক'ৰবাত হাৰি গ'ল। প্ৰিয়ানুজহঁতে যিমান পাৰি বুজাইছিল সিহঁতক। কিন্তু তাৰ মাজতে হঠাৎ বাহিৰত শুনা গৈছিল অদ্ভুত চিঞৰ বাখৰ কিছুমান। দুই এটা ল'ৰাই বাহিৰলৈ গৈ দেখে নীলাচল আৰু চৰাইদেউৰ ল'ৰাই এই মাজৰাতিও ৰেলী কৰিছে। সেইখিনিলৈও ঠিকে আছিল। কিন্তু পাটকাইৰ সমুখত উদ্দাম নৃত্য কৰাত অভিমন্যুহঁতৰ সহ্য নহ'ল। দুই এটাই হেনো কিবা অশ্লীল শব্দও মাতিছিল। ভিতৰত কোনেও শুনা নাছিল যদিও বাহিৰৰ পৰা অহি কোনোবাই ক'লে। শেষত অসহ্য লাগি পাটকাইৰ প্ৰিফেক্ট কেশৱ দাই কাঞ্চনজংঘাৰ প্ৰিফেক্ট গৌৰাংগলৈ ফোন লগালে। লগে লগে কথা পাতি পাটকাই সাজু হ'ল ৰেলী কৰিবৰ বাবে। যুক্তি এটাই,

"আমাৰো প্ৰেচিডেন্ট জিকিছে আমিও যাম।"

প্ৰিয়ানুজকে ধৰি দুই একে বাধা দিছিল। কাৰণ কেনেবাকৈ যদি চৰাইদেউ নহ'লে নীলাচলৰ ল'ৰা ওলাই আহে তেন্তে মাৰপিট লাগিব। কিন্তু কোনেও কথা শুনিবলৈ নৰ'লে। সদলবলে গোটেই পাটকাই উঠি গৈছিল। ইফালৰ পৰা কাঞ্চনজংঘাও উঠি আহিল। নীলাচল আৰু চৰাইদেউতকৈও দুগুণ হুলস্থুল আৰু চিঞৰ বাখৰেৰে ইউনিভাৰ্চিটীৰ বাটপথ কঁপাই তুলিছিল।

"KMH পাটকাই,

আমাৰ আগত কোনো নাই"

বুলি আকাশ বিদাৰি চিঞৰিছিল সকলোৰে। পাটকাইৰ ল'ৰা এনেয়ে সৰহ, তাতে লগতে উঠি আহিছে কাঞ্চনজংঘাও। গোটেই ৰাতিটো যেন ভয়ংকৰ হৈ পৰিছিল। Essentialৰ সমুখতে গোলকৈ বহি লৈ শ্লোগান দি দি গোটেই ইউনিভাৰ্চিটীক যেন নিজৰ অস্তিত্ব শুনাইছিল। ইমান দিনে ষ্টুডেন্টৰ মাত এটাও নুশুনা ইউনিভাৰ্চিটীৰ পৰিৱেশটো প্ৰথম বাৰৰ বাবে সঁচাই আচহুৱা হৈ পৰিছিল।

সেইখিনিলৈকে সকলো ঠিকেই চলি আছিল। কিন্তু ঘটনাটো ঘটিল উভতি আহোঁতে। Essentialৰ পৰা উভতি আহি নীলাচলৰ সমুখত ৰৈ প্ৰথমে দুই এটাই নীলাচলৰ ল'ৰাবোৰক উদ্দেশ্যি গালি দিবলৈ লাগিল। লগে লগে এটা এটাকৈ গোটেই দলটোৱে আৰম্ভ কৰিছিল অশ্ৰাব্য গালি গালাজ। প্ৰিয়ানুজ, অনুৰণ আৰু ময়ূঁৰহঁতে হাজাৰ চেষ্টা কৰিও বিফল হৈছিল উভতাই আনিবলৈ। শেষত প্ৰিফেক্টেও কন্ট্ৰোল কৰিব নোৱাৰাৰ

Kaushik

পৰিস্থিতি আহি পৰিল। যিকোনো সময়তে যদি নীলাচলৰ ল'ৰা ওলাই আহে, ইয়াত যে কি ভয়ংকৰ কাণ্ড সংঘটিত হ'ব কোনেও কল্পনাও কৰিব নোৱাৰে। তাতে আগৰ বছৰৰ ভাৰ্চিটী উইকৰ কাবাডী খেলত নীলাচল আৰু পাটকাইৰ কাজিয়া হৈয়ে আছিল। আজি যেন কেইটামানে তাৰো হোৰ পূৰাই লৈছে। শেষলৈ পৰিস্থিতি ইমানেই বেয়া হ'ল যে DSW আহিব লগা হ'ল। DSW য়ে চিকিউৰিটী লগাই গালি পাৰি ল'ৰাবোৰক হোষ্টেললৈ পঠাব লৈছিল। কিন্তু প্ৰথমবাৰৰ বাবে হোষ্টেলৰ ল'ৰাই DSW ৰ লগতো ফেপেৰি পাতিছিল। অৱশেষত DSW, প্ৰিফেক্ট আৰু প্ৰিয়ানুজহঁতৰ দৰে কেইটামান ল'ৰাৰ সহযোগত বহু চেষ্টা কৰি হুলস্থুলটো শাম কটোৱা হ'ল। হয়তো প্ৰথম বাৰলৈ হোষ্টেলৰ ল'ৰাৰ খং আৰু চিঞৰ দেখি ইউনিভাৰ্চিটীৰ প্ৰশাসনো আচৰিত হৈছিল। সদায় কঠোৰতকৈও কঠোৰ নিয়মেৰে বান্ধি থোৱা শিক্ষাৰ্থীখিনিক মাত নুফুটা বুলি কৰি থকা ধাৰণা প্ৰথম বাৰলৈ চূৰ্ণ হৈ পৰিছিল। হয়, সেই হুলস্থুলটোৰ কোনো অৰ্থ নাছিল। কিন্তু কোনেও ভাবিবও পৰা নাছিল যে সেই পৰিস্থিতিটোৱেই অনাগত দিনৰ বিভিন্ন ঘটনাৰ পথ প্ৰশস্ত কৰি দিলে।

ইলেকচনৰ পাছতে দিনবোৰ আকৌ আগৰ দৰে হৈছিল। জি এচ নো কোন, প্ৰেচিডেন্টনো কোন চবেই পাহৰিলে। মাত্ৰ থাকি গ'ল যদি কেৱল এক শত্ৰুতা। এফালে নীলাচল আৰু চৰাইদেউ আনফালে কাঞ্চনজংঘা আৰু পাটকাই। গোটেই ইউনিভাৰ্চিটীখনৰ ল'ৰা ছোৱালীবোৰ দুভাগ হৈ পৰিছিল। তাৰ মাজতেই এচাম আছিল আকৌ দুয়োপক্ষতে থকা। অৰ্থাৎ ইফালৰ কথা সিফাল আৰু সিফালৰ কথা ইফাল কৰা ধৰণৰ। বাকী যি নহওঁক এই ভাগ বতৰাত সঁচাই গোটেই ইউনিভাৰ্চিটীখনৰ পৰিৱেশটো প্ৰদূষিত হৈ পৰিছিল। বহুদিনলৈ পাটকাই আৰু কাঞ্চনজংঘাত নীলাচলৰ ল'ৰা সোমোৱাই নাছিল। মানুহৰ মাজৰ সম্পৰ্কবোৰত ৰাজনীতি সোমাইছিল। সদায় চিনাকি মুখবোৰেও ইজনে সিজনক দেখিলে মুখ ঘূৰাইছিল। সিদিনা অভিমন্যুয়ে আৰিফক দেখি মাতোঁতেও সি নেদেখা ভাও জুৰি আঁতৰি গ'ল। পাছত অৱশ্যে মেচেজ দিছিল,

"Beya napabi, senior r agot Patkai r lora logot mat bul koribole bhal nalage."

কথাবোৰ কিমান দূৰলৈকে শিপাইছে অভিমন্যুহঁতে তেতিয়াহে অনুমান কৰিছিল। হঠাৎ যে কি বোৰ হৈ গ'ল।

"ৰাজনীতি বস্তুটো ইমানেই বেয়া নে প্ৰিয়ানুজ দা?"

Kaushik

এদিন ৰাতি কফি একাপ হাতত লৈ খোজকাঢ়িবলৈ ওলাই আহোঁতে অভিমন্যুয়ে প্ৰিয়ানুজক সুধিছিল। হুঁমুনিয়াহ এটাৰে উত্তৰ দিছিল সিও,

"ৰাজনীতি ৰাইজৰ নীতি হোৱা হ'লে ইমান লেতেৰা নহ'লেইহেঁতেন।"

সকলোৰে মাজত সিহঁতেও বিচাৰিছিল আকৌ যদি এনেকুৱা কিবা এটা হ'লহেঁতেন যে সকলো আগৰ দৰে হৈ গৈছে। কিন্তু ফটা বাঁহ জোৰা লগাটো জানো ইমান সহজ। কোনে জানে নীলাচল আৰু পাটকাইৰ এই শত্ৰুতা কিমান দিনলৈকে বিয়পি থাকে !

সময়বোৰ পাৰ হৈ গৈ আছে। মাজতে পৰীক্ষাও হ'ল। তাৰ মাজতেই সন্ধ্যাহঁতে অহকাণে পহুকাণে শুনিছিল ভয়ংকৰ খবৰটো,

"তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰাক্তন ছাত্ৰীক ধৰ্ষণ কৰি হত্যাৰ চেষ্টা অসমৰ বাহিৰত।"

ধৰ্ষণ কৰি জুইৰে জ্বলাই মৰাৰ চেষ্টা কৰিছিল। সংকটজনক অৱস্থাত চিকিৎসাধীন যুৱতী গৰাকী।

খবৰটোৱে তোলপাৰ লগাই সমগ্ৰ অসমত। ঠাইয়ে ঠাইয়ে প্ৰতিবাদ, ন্যায় বিচাৰি শোভাযাত্ৰা, টেলিভিচনৰ মজিয়াত ক্ষুৰধাৰ সমালোচনা, ছচিয়েল মিডিয়াত তুলাধূনা একো বাদ পৰা নাই। এই বতাহ তেজপুৰ বিশ্ববিদ্যালয়ৰ ভিতৰলৈও বলিছিল। ছোৱালীজনী ইউনিভাৰ্চিটিৰ এক্স ষ্টুডেন্ট বুলি গম পোৱাৰ পাছতে যেন কঁপি উঠিছিল চৌহদৰ আকাশ বতাহ।

"নিজকে ভাৰতৰ বুলি ক'বলে লাজ লগা হৈছে। অকল ধৰ্ষণ আৰু ধৰ্ষণ। ছিহ্, ইমান নীচ হ'ব পাৰে নে মানুহ?"

ৰুমৰ আড্ডাত পখীয়ে ক্ষোভ উজাৰিছিল। পল্লৱীয়ে যোগ দিলে,

"নহ'ব কিয়? শাস্তি পাই জানো অপৰাধীয়ে? আইনৰ সুৰুঙাৰ সদায় ওলাই যায়। সৌ নিৰ্ভয়া কাণ্ডৰ বিচাৰ আজিলৈকে শেষ নহ'ল। কেতিয়ালৈ বা শেষ হ'ব।"

"ঠিক কৈছ। যিখন দেশত ধৰ্ষণকাৰীৰ পক্ষত উকীল পোৱা যায়, তাত ন্যায় বিচৰাটো কৌতুক নহৈ কি হ'ব?" পখীৰ মাতটো খঙত কঁপিছিল। যিকোনো কথাই নাৰীবাদৰ দৃষ্টিৰে চোৱা জেউতিয়ে কৈছিল,

Kaushik

"এই ল'ৰাবোৰেই যত চবৰ গণ্ডগোল। সৌ সীতাৰ পৰা দ্ৰৌপদীলৈকে, দ্ৰৌপদীৰ পৰা জয়মতীলৈকে অকল নিৰ্যাতনেই পাই আহিছে ছোৱালীবোৰে। প্ৰতি ল'ৰাই আচলতে এটা এটা লম্পট।"

জেউতিৰ কথা প্ৰতিবাদ কৰি সন্ধ্যাই ক'লে,

"আমাৰ ভুল এইখিনিতেই হয়। অপৰাধ হোৱাৰ লগে লগে অপৰাধীক বাদ দি আমি বেলেগত ভুল ছটিয়াবলে লাগি যাওঁ। এটা কথা জেউতি, সীতাক হৰণ কৰাজন পুৰুষ আছিল সঁচা কিন্তু উদ্ধাৰ কৰাজনো পুৰুষেই আছিল। সীতাক বনবাস দিয়াজন পুৰুষ আছিল হয়, কিন্তু বনবাসত আশ্ৰয় দিয়া মুনিজনো পুৰুষেই আছিল। দ্ৰৌপদীক বস্ত্ৰহৰণ কৰাজন পুৰুষ আছিল মানিছোঁ, কিন্তু বস্ত্ৰ দি ৰক্ষা কৰাজনো পুৰুষেই আছিল। তেনেদৰে জয়মতীক শাস্তি দিয়াজন যিদৰে পুৰুষ আছিল, তাৰ প্ৰতিশোধ লোৱাজনো কিন্তু পুৰুষ। গতিকে সমগ্ৰ পুৰুষ জাতিৰ ওপৰত আঙুলি উঠাব নোৱাৰা। কিন্তু হয়, প্ৰতিবাৰে সেই তেতিয়াৰে পৰা আজিলৈ ছোৱালীৰ ওপৰত অত্যাচাৰ চলিয়ে আহিছে।"

পাটকাইৰ মেচত সেইদিনা ভাত খাই থাকোঁতে হঠাৎ বিনোদে ক'লে,

"শুনিছোঁ ৰেপ কৰাকেইটা হেনো মিঞা। চব এই জাতিটোৰ কাৰণেই হৈছে। চালা এই মুছলিম গালক খেদিব লাগে দেশৰ পৰাই।"

হাতৰ ভাত গৰাহ মুখলৈ নিওঁ বৈ গৈছিল তৌফিক। অভিমন্যুয়ে চাইছিল তালৈ। চকুহাল চলচলীয়া হৈছিল তৌফিকৰ। লগে লগে খঙত চিঞৰি উঠিছিল অভিমন্যুয়ে,

"সেয়াই কৰ চবেই। কালপ্ৰিটৰ ধৰ্ম কি, কাষ্ট কি এইবোৰ দিচকাছ কৰ। এইবোৰ কৰি কৰিয়েই আমি দোষী মুকলি হোৱাত সহায় কৰি আছোঁ। মুছলিমে কৰিলে ক'ম ইছলাম ধৰ্ম বেয়া, হিন্দুয়ে কৰিলে ক'ম হিন্দু ধৰ্ম বেয়া। আবে কোনো ধৰ্মই নকয় যে যা কাৰোবাক বলাৎকাৰ কৰ। কাৰোবাক মাৰ্ডাৰ কৰ। ধৰ্ম বেয়া নহয়, বেয়া আমি মানুহবোৰে কৰোঁ। অপৰাধীৰ কোনো ধৰ্ম নাথাকে। সিহঁতৰ এটাই জাতি এটাই ধৰ্ম, সেইটো হ'ল নীচ।"

লগে লগে বহু কেইটাই সমৰ্থন কৰিলে অভিমন্যুৰ কথাত। তৌফিকে ভাত খাই যোৱাৰ পাছত আৱেগিক হৈ সাৱটি ধৰিছিল অভিমন্যুক।

Kaushik

আড্ডাবোৰ সামৰিছিল তেনেকেই। প্ৰশ্ন উঠিছিল সমগ্ৰ দেশে প্ৰতিবাদ কৰি ন্যায়ৰ দাবী কৰি থকা অৱস্থাত তেজপুৰ বিশ্ববিদ্যালয়ে অকল ৰুমে ৰুমে আলোচনা কৰিয়েই থাকিব নে? তেনেকুৱাতে এদিন নতুন কাউন্সিলখনে ঘোষণা কৰিলে যে মম জ্বলাই মৌন সমদল কৰি প্ৰতিবাদ কৰিব। কিছুমানে ঠাট্টা কৰিছিল,

"গোটেই দেশত হুলস্থুল, আমাৰ আকৌ মম জ্বলাই মৌন প্ৰতিবাদ কৰে।"

লগতে বহুতে ভালো পাইছিল,

"হওঁক দে, কিবা এটাতো ষ্টেপ লৈছে।"

এৰা, হয়তো প্ৰথম বাৰলৈ এনে ঘটনাত মাত মাতিছিল তেজপুৰ বিশ্ববিদ্যালয়ে। লাগিলে সেয়া মৌন ভাষাৰেই নহওঁক কিয়।

কথাবোৰ পাতি পাতি সেইদিনা হোষ্টেল সোমাওঁতেই সন্ধ্যা আৰু পখীৰ কাণত পৰিল ছিকিউৰিটী মাহীয়ে পাতি থকা কথাবোৰ,

"দিল্লীত থকা ছোৱালী, নিজে সাৱধান হ'ব লাগে। কি বা কাপোৰ পিন্ধি কৰি গৈছিল। পাইছে মজা।"

সন্ধাই ৰখাবলৈ চেষ্টা কৰাৰ পাছতো পখী গুজৰি উঠিছিল মাহীৰ আগত,

"লাজ লগা নাই, এজনী মাইকী মানুহ হৈ কোন খন মুখেৰে কৈছে এইষাৰ কথা? কাপোৰৰ কথা কৈছে? যদি কাপোৰৰ কাৰণে বলাৎকাৰ হয়, তেন্তে নতুনকৈ জন্ম হোৱা এমহীয়া শিশুৰ কিয় বলাৎকাৰ হয়? সত্তৰ বছৰীয়া বৃদ্ধাৰ কিয় বলাৎকাৰ হয়? বোৰ্খা পিন্ধা মহিলাৰ কিয় বলাৎকাৰ হয়? আপোনালোকৰ নিচিনা মানুহৰ মানসিকতাৰ লগত ধৰ্ষণকাৰীৰ মানসিকতাৰ একো পাৰ্থক্য নাই।"

পখীৰ কথাত লাজতে ৰঙা পৰিছিল মানুহগৰাকী। গম্ভীৰ মাতেৰে কৈছিল,

"বেছি মুখ চলিছে। এতিয়াই ৱাৰ্ডেন মেমৰ আগত--"

তেওঁক ক'বলৈ নিদি পখীয়ে আকৌ ক'লে,

"মাতক না ৱাৰ্ডেনক। মই ক'ম আপোনালোকে কি কথা পাতি আছিল। মাতক। মোৰ আগত মাতক। চাওঁ কি কয় মেমে। পাইছে মজা বুলি যে কৈছিল সেইটো ক'ম মই মেমক। মাতক দম আছে যদি।"

Kaushik

পথীৰ ৰূপ দেখি সুৰসুৰকৈ আঁতৰি গৈছিল ছিকিউৰিটী কেইজনী।

কেণ্ডেল মাৰ্চৰ দিনা মম দুডাল কিনি আনিছিল অভিমন্যুয়ে। এডাল তালৈ আনডাল ময়ূঁৰলৈ। প্ৰিয়ানুজ আৰু অনুৰণহঁত আগবাঢ়িলেই। অভিমন্যুয়ে ময়ূঁৰক নিবলৈ তাৰ ৰুম পালেহি।

"ঐ ব'ল আকৌ। চব গ'লেই।" অভিমন্যুয়ে সোমায়েই ক'লে।

"মই নাযাওঁ।"

ময়ূঁৰৰ কথাত আচৰিত হৈ অভিমন্যুয়ে ক'লে,

"এট লিষ্ট আজিও তোক জোৰ কৰিব লাগিব বুলি ভবা নাছিলোঁ। এনেকুৱা এটা কথাত--"

ময়ূঁৰে লগে লগে ওলোটাই ক'লে,

"কি কৰিবি মম জ্বলাই? তহঁতে জ্বলোৱা মমৰ জুই সেই বলাৎকাৰীকেইটাৰ ওচৰ পাবগৈ নে সিহঁতক ধৰাত সহায় কৰিব?"

অভিমন্যুয়ে একো কোৱা নাই। ময়ূঁৰ থিয় হ'ল,

"ইতিহাস সাক্ষী আছে, নাৰীৰ অপমানৰ বাবে এইখন ভাৰততে কুৰুক্ষেত্ৰ হৈছিল লংকা দহন হৈছিল। আৰু আজি আমি কি কৰিছোঁ, মম জ্বলাইছোঁ। চাল্লা সেই কুকুৰ কেইটাক জ্বলাবলৈ সাহস আছে কাৰোবাৰ?"

এইবাৰ অভিমন্যুয়ে ময়ূঁৰক বুজোৱাৰ সুৰত ক'লে,

"তই এইবোৰ আৱেগত কোৱা কথা ময়ূঁৰ। কোনো যুক্তি নাই ইয়াত।"

ময়ূঁৰে চিঞৰি উঠিল,

"আমি আৱেগ, বিবেক আৰু যুক্তি লৈ লাগি থাকোঁতেই যাব। আৰু সিফালে আমাৰেই বাই ভনী জ্বলি থাকিব। জীৱনত কেতিয়াবা এনেকুৱা মূহুৰ্ত আহে অভি, যেতিয়া আৱেগেই একমাত্ৰ যুক্তি হৈ পৰে।"

Kaushik

অভিমন্যুয়ে চাই ৰৈছে ময়ূঁৰলৈ। ইমান উত্তেজিত অৱস্থাত আজি প্ৰথম দেখিছে তাক। ময়ূঁৰে হঁহাৰ দৰে কৰি ক'লে,

"আচৰিত হৈছ? মোৰ কথা নহয়। ৰীতা চৌধুৰী বাইদেৱে উপন্যাসত লিখা কথা।"

অভিমন্যু যেন বিৰক্ত হৈছিল। সেই সুৰতে ময়ূঁৰক ক'লে,

"জীৱনটো উপন্যাস নহয় ময়ূঁৰ।"

"জানোঁ অভি, মইও জানো জীৱন কেতিয়াও উপন্যাস নহয়। কিন্তু উপন্যাস সদায় জীৱনক লৈয়ে লিখা হয়।"

ময়ূঁৰৰ কথাৰ অভিমন্যুৰ ওচৰত এইবাৰ একো উত্তৰ নাছিল। মাত্ৰ ক'লে,

"তই নাযাঁৱ যদি যাওঁ মই।"

বেৰৰ ফালে মুখ কৰি ময়ূঁৰে ক'লে,

"যা তই। মম জ্বলাই উই ৱান্ট জাষ্টিছ বুলি চিঞৰ গৈ। যদি জীৱনত কেতিয়াবা সুযোগ পাওঁ তেন্তে এটা ধৰ্ষণকাৰীক জীয়াই জীয়াই জ্বলাম। আৰু সেইদিনা মই চিঞৰিম, দিচ ইজ জাষ্টিছ।"

অভিমন্যু ওলাই গৈছিল। ময়ূঁৰে ফোপাইছিল খুব। সেইদৰেই সি লাইটটো অফ কৰি খিৰিকী খন মেলি দিলে। ৰুমটোলৈ যাযাবৰী বতাহজাকৰ লগতে সেই ছাঁয়া মূৰ্তিটো সোমাই আহিল। চকুৰ পানীবোৰ বৈ যাবলৈ দি ফেঁকুৰি কৈছিল ময়ূঁৰে,

"মোক ক্ষমা কৰি দিবা ৰাধা।"

সকলো Essentialতে গোট খালে। বহুখিনি ষ্টুডেন্ট গোট খোৱাৰ পাছত জি এচে এটা সৰু ভাষণেৰে শোভাযাত্ৰা আৰম্ভ কৰিছিল। সকলো ষ্টুডেন্টে মুখেৰে টু শব্দ নকৰাকৈ গৈ আছিল শাৰী পাতি। উজলি উঠিছিল পোহৰবোৰ। কেইদিন মানৰ আগত থকা জেদবোৰ এতিয়া কাৰো মাজত নাই। পাটকাইৰ ল'ৰাটোৱে লৈ অনা মম ডাল নীলাচলৰ ল'ৰাটোৱে মেচ মাৰি জ্বলাইছিল। চৰাইদেউৰ ল'ৰাটোৰ হাতৰ পৰা পৰি যাবলৈ লোৱা মমডাল কাঞ্চনজংঘাৰ ল'ৰাটোৱে থাপ মাৰি ৰখাইছিল। এই মৌন শোভাযাত্ৰাই বাকী কি কৰে কোনেও নাজানে, কিন্তু অশান্ত ইউনিভাৰ্চিটীখনত যেন জুইৰ ক্ষীণ শিখাবোৰে কিছু পৰিমাণে হ'লে এক শান্তি পোহৰ সিঁচিছিল। অভিমন্যু,

Kaushik

অনুৰণ আনফালে সন্ধ্যাহঁতেও ভাগ ল'লে সমদলত। সমদল কৰি আহি গেটৰ সমুখতে মমেৰে লিখি দিছিল,

"WE WANT JUSTICE"

সেই সময়ত অভিমন্যুৰ ময়ূঁৰৰ কথাষাৰ মনত পৰিছিল,

"যদি জীৱনত কেতিয়াবা সুযোগ পাওঁ তেন্তে এটা ধৰ্ষণকাৰীক জীয়াই জীয়াই জ্বলাম। আৰু সেইদিনা মই চিঞৰিম, দিচ ইজ জাষ্টিছ।"

প্ৰায় দুঘন্টা মানৰ পাছত শোভাযাত্ৰা শেষ হ'ল। সকলো ৰুমে ৰুমে গ'ল। পথীহঁতক যাবলৈ দি কাঞ্চনজংঘাৰ পুলটোত বহি আছে সন্ধ্যা। হাতত তাইৰ জ্বলি থকা মম ডাল। এটা হাতেৰে মম ডাল লৈ আনটো হাতত তাই মমৰ টোপালকেইটা পেলাই আছে। গৰম টোপালবোৰ পৰাৰ লগে লগে এবাৰত কঁপি উঠিছে, চকুৰে পানী বৈ গৈছে। হাতখন ৰঙা পৰি আহিছে। কিন্তু তথাপি তাই পেলাই গৈছে টোপালবোৰ। কিছু সময়ৰ পাছত হঠাৎ মমডাল তাইৰ হাতৰ পৰা কাঢ়ি লৈ তলত আজুৰি পেলালে কোনোবাই। সন্ধ্যাই তলকিবলৈ নাপাওঁতেই সি ভৰিৰে গচকি নুমুৱাই দিলে মমৰ শিখাটো। সন্ধ্যাই তেতিয়াহে থিয় হৈ মুখলৈ চাই দেখিছিল তাইৰ সমুখত সেয়া অনুৰণ। খঙেৰে ক'লে সি,

"বলিয়া হৈছা নি তুমি? কি কৰি আছা এইবোৰ?"

সন্ধ্যাই উচুপি উঠিল,

"এই মমৰ টোপাল কেইটায়ে মোক কঁপাই দিছিল অনুৰণ। সেই ছোৱালীজনীৰ কি অৱস্থা হৈছিল, যেতিয়া তাইক ধৰ্ষণ কৰি গাত জুই লগাই দিছিল।"

কান্দি কান্দি সন্ধ্যা বহি পৰিছিল পুলটোত,

"কিয় মানুহবোৰ ইমান বেয়া? কিয় শান্তিৰে জীয়াই নাথাকে?"

সন্ধ্যা বহি থকা পুলটোৰ সমুখতে আঠুকাঢ়ি লৈছিল অনুৰণে। মমৰ টোপালত তাইৰ ৰঙা হৈ পৰা হাতখন নিজৰ হাতত তুলি লৈছিল সি। মৰমেৰে তাইৰ চকুপানী মচি দি কৈছিল সি,

Kaushik

"মানুহবোৰ ভাল হ'ব সন্ধ্যা। এজনী ছোৱালীৰ ত্যাগ, কষ্ট বুজিব এদিন। সলনি হ'ব আমাৰ সমাজখন।"

"কিন্তু কেতিয়া?" সন্ধ্যাই উচুপিয়ে আছিল।

"সোনকালেই। আমিয়ে বুজাব লাগিব মানুহক। পৰিৱৰ্তনবোৰ আমিয়ে আনিব লাগিব। কিন্তু তুমি এনেকৈ আজিৰ পৰা নিজক কষ্ট নিদিবা কিন্তু।"

অনুৰণৰ কথাত তাৰ চকুলৈ একেথৰে চাই ৰৈছিল সন্ধ্যাই। অনুৰণৰ চকুত বিৰিঙি উঠিছিল টোপাল কেইটা মান। সি যেন কিবা এটা কৈছিল। ক'ৰবাত সন্ধ্যাও বুজিছিল। এৰা, অৰ্থহীন হাজাৰ শব্দতকৈ এটি অৰ্থপূৰ্ণ নীৰৱতা হাজাৰ গুণে শ্ৰেষ্ঠ।

সন্ধ্যাক নি হোষ্টেলত থৈ নিজেও পাটকাইলৈ উভতিছিল অনুৰণ।

অনুৰণৰ বুজনিত কিছু সময়ৰ বাবে পাহৰিলেও ৰাতি বিচনাত পৰোঁতে আকৌ কথাবোৰ মনলৈ আহিছিল সন্ধ্যাৰ। এনেকৈ মম জ্বলাই সিহঁতে সলাব পাৰিব জানো সমাজ! এয়া যে কলিযুগ। না কাপোৰ দিবলৈ কৃষ্ণ আহিব না লংকা জ্বলাবলৈ হনুমান, নিজেই ল'ব লাগিব অস্ত্ৰ তেহে ৰ'ব স্বাভিমান।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 88

"দৌৰি দৌৰি যাম,

মিছন চাইনা চাম"

যোৱা কেইবা মাহ ধৰি গোটেই অসমৰ আকাশ বতাহ এই শাৰী দুটাই কঁপাই আছে। কঁপাবৰ কথাই, প্ৰতিজন অসমীয়াৰ হিয়াৰ আমঠু জুবিনে গাৰ্গে নিৰ্মাণ কৰি উলিয়াইছে এখনি চলচিত্ৰ। নাম, "মিছন চাইনা"। ছবিখনৰ মূল অভিনেতা, সংগীত পৰিচালক, গায়ক, চিত্ৰনাট্য সকলো জুবিনেই। আনকি ছবিখনৰ প্ৰযোজনাও কৰিছে জুবিনে নিজেই। অৰ্থাৎ জুবিন গাৰ্গৰ সম্পূৰ্ণ নিজৰ চিনেমা এইখন। অৱশ্যে এইটোৱে একমাত্ৰ উৎসুকতাৰ কাৰণ নহয়। "মিছন চাইনা"য়ে অসমৰ সৰ্বাধিক বাজেটৰ চিনেমা। প্ৰায়

দুই কোটি টকা ব্যয়েৰে দুবছৰৰো অধিক কাল জুবিন গাৰ্গে এইখন চিনেমাত লাগিছে। তাৰোপৰি যোৱা কেইবা মাহৰ পৰা প্ৰচাৰত তোলপাৰ কৰিছে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ। প্ৰচাৰৰ বাবে জুবিন গাৰ্গে বাছি উলিয়াইছে এটা নতুন পদ্ধতি। তাৰবাবে অসমৰ সৰু বৰ প্ৰতিখন কলেজ ইউনিভাৰ্চিটীত গৈ গৈ মিছন চাইনাৰ প্ৰচাৰ কৰিছে। বৰ্তমান অসমৰ কথাছবিৰ যি দূৰৱস্থা তালৈ চাই জুবিন গাৰ্গৰ এই পদক্ষেপ সঁচাই শলাগিবলগীয়া। কি কটন, কি সন্দিকৈ, কি ডিব্ৰু সকলোতে এতিয়া মিছন চাইনাৰ জ্বৰ। ফেচবুকত বহুতৰে জুবিন গৰিমাৰ লগত উঠা ছেল্ফিয়ে ভৰি পৰিছে। বহুতে আশাও কৰিছে, বহুদিনৰ মূৰত এখন সুন্দৰ ছবি চাবলৈ পাম। লগতে ৰাইজৰ আশাব্যঞ্জক সঁহাৰিও দেখা গৈছে। ইয়াৰ পূৰ্বেও "তুমি মোৰ মাথোঁ মোৰ" আৰু "মন যায়"ত জুবিনে নিজৰ অভিনয়ৰ প্ৰমাণ দি থৈছে। মাজতে "ৰ'দৰ চিঠি" আৰু "গানে কি আনে" বুলি দুখন কৰিলে যদিও বৰ বিশেষ সঁহাৰি নাছিল ৰাইজৰ। হয়তো এই প্ৰচাৰৰ অভাৱ। কিন্তু এইবাৰ সকলোৰে হিয়াৰ আমঠু শিল্পীজনেই যেতিয়া চাবলৈ নিমন্ত্ৰণ দিব, তেতিয়া কোননো নোযোৱাকৈ থাকিব পাৰিব। মুঠতে "মিছন চাইনা" ভাল হয় নে বেয়া হয় ক'ব নোৱাৰি, কিন্তু এই চিনেমাখনে যে অসমৰ চলচ্চিত্ৰ জগতত এক নতুন ঢৌ আনি দিছে সেইটো কিন্তু ধ্ৰুৱ।

ছচিয়েল মেডিয়াত মিছন চাইনাৰ প্ৰচাৰ দেখি আছিল যদিও সন্ধ্যাহঁতে কেতিয়াও ভবা নাছিল যে জুবিন গাৰ্গক প্ৰচাৰৰ অনুমতি তেজপুৰ বিশ্ববিদ্যালয়ে দিব। কাৰণ ইমান দিন থাকি সিহঁতে যিটো বুজিছে এইখন ইউনিভাৰ্চিটীয়ে নিজক এইখন পৃথিৱীৰ বাসিন্দা বুলি নাভাবেই। সৌ সিদিনা ধৰ্ষণ কাণ্ডটোৰ বাহিৰে আজিলৈকে একো ক্ষেত্ৰতে একো প্ৰতিক্ৰিয়া দি পোৱা নাই তেজপুৰ ইউনিভাৰ্চিটীয়ে। বাহিৰত চব উলট পালট হৈ গ'লেও ইয়াত দৈনন্দিন ৰুটিন পালন হ'বই লাগিব। গতিকে ইয়াত জুবিন গাৰ্গৰ চিনেমাৰ প্ৰচাৰ সম্ভৱেই নহয়। কিন্তু সিদিনা মহামায়াৰ আড্ডাতহে সন্ধ্যাৰ ভুলটো ভাঙিল।

আনদিনাৰ দৰে সেইদিনাও সন্ধ্যা আৰু চন্দ্ৰালী গৈ পোৱাৰ লগে লগে প্ৰশান্ত দাই চাহ দুকাপ আনি দিছিল। দোকানৰ ভিতৰৰ ডেস্ক টপত গান বাজিয়ে আছিল মিছন চাইনাৰ,

"পগলা পগলা মৰম বুকুৰে মাজত আছে,

Kaushik

বুকুৰ উতনুৱা যৌৱন খহি খহি যেন নাচে"

চাহকাপ ফুঁৱাই সন্ধ্যাই বকুল দাক সুধিলে,

"কি হে বকুল দা? আপোনাৰ এতিয়াও এই উতনুৱা যৌৱন খহাৰ গান শুনাৰ দিন আছেই নে?"

চন্দ্ৰালীয়ে মুখ টিপি হাঁহিছিল সন্ধ্যাৰ কথাত। আশা কৰা মতেই বকুল দাই ভেঁকাহি মাৰিলে,

"কাক ঠাট্টা কৰিছ? এতিয়াও যদি জিনছ পেন্ট পিন্ধি তহঁতৰ লগত ক্লাছত বহোঁ প্ৰফেচাৰে ধৰিবই নোৱাৰিব।"

তেনেতে দোকানলৈ হিমাদ্ৰী সোমাই আহিল। আহোঁতেই তাই বকুল দাক উদ্দেশ্যি কৈ আহিছে,

"এ হবো দা। এনেহেন বয়সত এইগিলা কথা কব নাপ্লে। চুলিও পকবা ধছি, ইহ বেটা তাৰ কথা নুশুনা কিয়া।"

"হাৰে হিমাদ্ৰী, ক'ৰ পৰা? ইমান দিনৰ মূৰত।"

চন্দ্ৰালীয়ে সাৱটি ধৰিলে তাইক। হিমাদ্ৰী সন্ধ্যাৰ ৰুমমেট বিদিশাৰ লগৰ আছিল। সেই তেতিয়াই ২০১৬ তে ওলাই যোৱাৰ পাছত একো খা খবৰ নাছিল তাইৰ। আজি এবছৰৰ মূৰত ভুৰুংকৈ ওলোৱাত আচৰিত হৈছিল চন্দ্ৰালীহঁত। হিমাদ্ৰীয়ে হাঁহি মাৰি ক'লে,

"ভালনে চন্দ্ৰা? মই পি এইচ ডিত পালোঁ নহয় ইয়াতে।"

"পি এইচ দি, ৱাও। কংগ্ৰেচুলেচনছ বা।"

সন্ধ্যাৰ কথাত তাইৰ গালত হাত ফুৰাই হিমাদ্ৰীয়ে ক'লে,

"আমাৰ বিদিশাৰ ৰুমমেট চোন। থেংক ইউ দেই। কি খবৰ তোমাৰ?"

"ভালেই বা। পিছে ইমান দিন দেখাই নাই যে তোমাক।"

"মই এডমিশ্যন লৈয়ে ঘৰ গ'লো। দেউতাৰ গা খুব বেয়া। বাহিৰলৈ নিব লগা হ'ল।"

"এতিয়া ভাল পাইছে নে বৰদেউতাই?"

Kaushik

চন্দ্ৰালীয়ে সুধিলে। সন্ধ্যাই চাইছিল তাইলৈ। এইটো কাৰণতেই তাইৰ ভাল লাগে চন্দ্ৰালী বাক। আংকল আন্টীৰ যুগত বৰদেউতা, বৰমা আদি সম্বোধন ধৰি ৰখা মানুহ খুব কমেই আছে। বিশেষকৈ তেজপুৰ ইউনিভাৰ্চিটীত। তাৰ মাজত যেন চন্দ্ৰালী অন্যতম। এইবাৰ বকুল দাই হিমাদ্ৰীলৈ চাই ক'লে,

"এইজনী গৈছিলহে। আহিল আকৌ মূৰটো চোবাবলে।"

"আপনাৰ মৰমত এতে আহা নাই। পঢ়বা আইছো। ইম্যেন বুৰা মুখ খেন চাবা একো ইচ্ছা নাই মৰ।"

হিমাদ্ৰীৰ কথাত সন্ধ্যাৰ লগতে চাহ খাই থকা চন্দ্ৰালীয়েও হাঁহিত চৰ্চৰণি খাই উঠিল। হাঁহি হাঁহিয়ে তাই ক'লে,

"অ' বকুল দা, এইক কিয় জোকাই লয়নো আপুনি?"

বকুল দাৰো হাঁহি উঠিছিল। যিমান জোকালেও হিমাদ্ৰীক বকুল দাই যে খুব ভাল পাই সেইটো হিমাদ্ৰীয়েও জানে। তাই যোৱাৰ পাছত কেইবা দিনো সন্ধ্যাৰ আগতে কৈছিল,

"পাগলীজনীক দিনটো জোকাই জোকাইয়ে পাৰ হয়। মাজে মাজে বৰ মনত পৰে অ'।"

এতিয়া হিমাদ্ৰী ঘূৰি অহাত সকলোতকৈ অধিক সুখী চাগে বকুল দায়েই।

দোকানতে আড্ডা মাৰি থাকোঁতেই হঠাৎ চন্দ্ৰালীয়ে ক'লে,

"অহা সপ্তাহত জুবিন আহিব নহয়।"

"কি?" সন্ধ্যাই চিঞৰি উঠিল।

"অঁ আকৌ। গম নাপাঁৱ নেকি?"

হিমাদ্ৰীয়েও গম পাইছিল জুবিন অহাৰ কথা। তেতিয়াহে সন্ধ্যাই গম পালে। প্ৰথমতে বিশ্বাস কৰিবলৈকে টান লাগিছিল। তেজপুৰ ইউনিভাৰ্চিটীয়ে চিনেমাৰ প্ৰমোচন এলাও কৰিছেনে! পিছতহে ভাবিলে, এতিয়া যে ইউনিভাৰ্চিটী আগৰ দৰে হৈ থকা নাই। নতুন নিয়মবোৰে হয়তো অনুমতি দিবও পাৰে। বাৰু যি কি নহওঁক, কেম্পাছত জুবিন গাৰ্গক এবাৰ আকৌ দেখাৰ হেঁপাহত সন্ধ্যা যেন উজলি উঠিছিল।

"মোৰ যে চিন্তাই হৈছে। ষ্টেজত জুবিন দা থকাৰ পাছত কেনেকৈ যে এংকৰিং কৰিম। মাতেই নোলাব চোন।"

Kaushik

চন্দ্ৰালীয়ে কৈছিল। সন্ধ্যাই লগে লগে তাইক খাটনি ধৰিলে,

"চন্দ্ৰা বা, মোক কিন্তু তুমি এবাৰ লগ কৰাই দিব লাগিব গ্ৰীণ ৰুমতে প্লিজ।"

চন্দ্ৰালীয়ে "একদম চিওৰ" বুলি কওঁতে ফুৰ্তিতে চিঞৰি উঠিছিল সন্ধ্যাই। মহামায়াতে অলপ দেৰি কথা পাতি সিহঁত ওলাই আহিল।

পিছদিনাৰ পৰা খবৰটো বিয়পি পৰিছিল গোটেই চৌহদত। জুবিন দা আহি আছে। প্ৰায়খিনিৰ বাবে খবৰটো একেবাৰেই অপ্ৰত্যাশিত আছিল। অভিমন্যুয়েতো কেন্টিনতে সেইদিনা জঁপিয়াই দিছিল জুবিন দা বুলি। পখীয়ে সন্ধ্যাক কৈয়ে থৈছে, তাই সেইদিনা ৰাতি নুশুৱেই। ৰাতিপুৱা ছটাৰ পৰা হেনো কমিউনিটী হলত গৈ বহি থাকিব। সঁচাই, এনেকুৱাই জুবিন। প্ৰতিজন অসমীয়াৰ বুকুৱে বুকুৱে বৈ থকা এটি সেউজীয়া সুৰ।

সেইদিনা দেওবাৰ। কিন্তু আন দেওবাৰবোৰৰ দৰে সেইটো দেওবাৰে ইউনিভাৰ্চিটী শান্ত হৈ থকা নাছিল। ৰাতিপুৱাৰে পৰা জুবিনময় হৈ আছিল গোটেই চৌহদ। সদায়ৰ দৰে এলেহুৱা দেওবাৰটো যেন চঞ্চল হৈ উঠিছিল। ইতিমধ্যে বাছষ্টেণ্ডৰ পৰা দোকান পোহাৰলৈকে মৰা মিছন চাইনাৰ পোষ্টাৰ দেখি গোটেই বিশ্ববিদ্যালয় পৰিয়াল সাজু হৈছিল জুবিনক আদৰিবলৈ। পখী আৰু সন্ধ্যাও গৈ সোনকালেই কমিউনিটী হল পালেগৈ। অভিমন্যুৰ লগত ময়ূঁৰো আহিছিল। সন্ধ্যাই এবাৰ অনুৰণলৈ ফোন লগাইছিল। সি ক'লে,

"একেবাৰে চিনেমাতে চামগৈ দিয়া।"

হাঁহি মাৰি কাটি থ'লে সন্ধ্যাই। তাই জানে অনুৰণৰ এইবোৰত বৰ বিশেষ ৰুচি নাই। চিনেমাও যে চাবলৈ যাব আশা ক্ষীণ।

"জু-বি-----ন

জু-বিন"

হঠাৎ চিঞৰ বাখৰ লাগিল। সকলোৰে মাজেৰে কমিউনিটী হললৈ আগবাঢ়িছিল জুবিন। লগত পত্নী গৰিমা আৰু মিছন চাইনাৰ অন্য মানুহবোৰ। গোটেই কমিউনিটী হল মূহুৰ্ততে ভৰি পৰিল। চবফালে কেৱল জুবিন জুবিন চিঞৰ। সঁচাই তেজপুৰ ইউনিভাৰ্চিটীৰ দৰে ষ্টুডেন্টকো দেওবাৰৰ ৰাতিপুৱা কমিউনিটী হলত থিয় কৰাই দিব

Kaushik

পৰাৰ শক্তি কেৱল জুবিনৰে আছে নিশ্চয়। কাৰণ এটা ব্যস্ত সপ্তাহ কটোৱাৰ পাছত শনিবাৰ আৰু দেওবাৰৰ ৰাতিপুৱাৰ টোপনিখিনিৰ মূল্য প্ৰতিজন ষ্টুডেণ্টে জানে আৰু পৃথিৱী উলট পালট হৈ গ'লেও ইয়াৰ বলিদান কেতিয়াও নিদিয়ে। গতিকে এতিয়া টোপনি ত্যাগ কৰি যদি আহিছে একমাত্ৰ এই জুবিন নামৰ আৱেগটোৰ বাবে।

ষ্টেজত উঠি হাতখন জোকাৰিছিল জুবিন দাই। লগে লগে আকৌ এজাক চিঞৰ। সন্ধ্যাহঁত ষ্টেজৰ কাষতেই আছিল প্ৰায়। অভিমন্যু কিছু পিছত আছিল যদিও ঠেলি ঠেলি তাইৰ ওচৰ পালেহি।

"ঐ, কিমান ঠেল আৰু। পিছলে যা।" সন্ধ্যাই চকু ঘোপা কৰি ক'লে তাক।

"জুবিন দাৰ লগত ঝেং নাই। জুবিন দা----"

সন্ধ্যাৰ কাণৰ কাষতেই টেটু ফলা চিঞৰ মৰা তাই পিছলৈ ঠেলা মাৰিলে তাক। অভিমন্যু হাঁহি হাঁহি আকৌ আগবাঢ়ি আহিল।

ষ্টেজত চন্দ্ৰালী উঠিছিল এংকৰিঙৰ বাবে। হয়তো প্ৰথমবাৰৰ বাবে চন্দ্ৰালী কঁপি উঠিছিল। এবাৰ ষ্টেজত উঠি আকৌ দৌৰ মাৰি ভিতৰ সোমাল তাই। সন্ধ্যাৰ হাঁহি উঠিল। বুজি পাইছে তাইৰ অৱস্থাটো। জুবিন দাইও হাঁহিছিল চন্দ্ৰালীলৈ চাই। অলপ পাছত চন্দ্ৰালীক ছাত্ৰ পৰিষদৰ এজনে চিনাকি কৰাই দিলে জুবিনৰ লগত। তেতিয়াহে তাই কিছু শান্ত হৈ মাইকটো হাতত ল'লে। কঁপা কঁপা মাতেৰে চন্দ্ৰালীয়ে আৰম্ভ কৰিলে,

"আজি কিয় হিয়া কঁপে, আজি কিয় মনে নাচে কাৰণ ষ্টেজত জুবিন দা বহি আছে।"

চন্দ্ৰালীৰ ঘোষণাত সকলোৰে লগতে জুবিন দাইও হাঁহি পেলাইছে। ইয়াৰ পাছতে জুবিন গাৰ্গ তথা সকলোকে সম্ভাষণ জনাই অনুষ্ঠান আৰম্ভ কৰা হ'ল। প্ৰথমে জুবিন গাৰ্গে নিজেই তেওঁৰ গোটেই টীমটো চিনাকি কৰাই দিলে। লগে লগে গৰিমা গাৰ্গকে ধৰি সকলোৱে মিছন চাইনাৰ বিষয়ে কোৱাৰ একেবাৰে শেষত জুবিনে নিজেও তেওঁৰ মিছন চাইনাৰ আঁৰৰ কথাখিনি জনালে। কিদৰে দুবছৰ সময় ধৰি অশেষ কষ্টৰে এইখিনি কৰিছে তাকো সদৰি কৰিলে। লগতে মিছন চাইনাৰ গীতটিও আওৰালে এবাৰ,

"দিন জ্বলে ৰাতি জ্বলে

মন জ্বলে দেহ জ্বলে

Kaushik

কলিজা কঁপে মাথোঁ তোমালে"

থিয় হৈয়ে নাচিছিল এপাক চবেই। অভিমন্যুয়ে সন্ধ্যাক ধৰি এপাক ঘূৰায়েই দিছিল। কাষতে ৰৈ থকা জুৰিয়ে কৈছিল,

"এনেই তহঁত দুটাৰ সঁচাকৈয়ে ব্ৰেক আপ হৈছিলতো ন?"

উত্তৰত হাঁহিত ফাটি পৰিছিল অভি আৰু সন্ধ্যা দুয়োটা। এৰা, সিহঁতৰ বন্ধুত্বৰ গভীৰতা আনে নুবুজাটোৱেই স্বাভাৱিক।

তেনেকৈয়ে প্ৰগ্ৰামটো শেষ হ'ল। শেষত এবাৰ চিনেমাখনৰ ট্ৰেইলাৰটো প্ৰজেক্টৰত চাইছিল সকলোৱে একেলগে। ইয়াৰ পাছতে মিছন চাইনাৰ বিশেষ শাৰী দুটাৰে অনুষ্ঠান শেষ হ'ল,

"দৌৰি দৌৰি যাম,

মিছন চাইনা চাম।"

ষ্টেজৰ কাষত ৰৈ থকা চন্দ্ৰালীয়ে সন্ধ্যাক ইংগিতেৰে গ্ৰীণৰুমলৈ মাতিছিল। সন্ধ্যাই মানুহৰ মাজেৰেই সুযোগ বুজি সেইখিনি পালেগৈ। গ্ৰীণৰুমত চন্দ্ৰালীয়ে সন্ধ্যাক চিনাকি কৰাই দিছিল জুবিনৰ লগত,

"জুবিন দা, এইয়া মোৰ ভন্টি।"

"কি নাম?" জুবিনে সুধিলে।

সন্ধ্যাৰ কোনো উত্তৰ নাই। একেথৰে চাই আছে তাইৰ প্ৰিয় শিল্পীজনলৈ। এই যে মাতটো, গোটেই অসমক যেন জীপাল কৰি ৰাখিছে এই মাতটোৰে।

"ঐ, নামটো সুধিছে।"

চন্দ্ৰালীয়ে হেঁচা এটা মাৰি কোৱাত সন্ধ্যাই থতমত খাই ক'লে,

"স--সন্ধ্যা। সন্ধ্যা ৰাগিণী বৰুৱা।"

"বঢ়িয়া। সঁচাকৈ সন্ধ্যা আছে তোৰ চকুত।"

জুবিন দাৰ কথাত হাঁহিৰে তলমূৰ কৰিছিল সন্ধ্যাই। কাষতে ৰৈ থকা চন্দ্ৰালীয়ে ধেমালি কৰি ক'লে,

Kaushik

"আৰু মোৰ? মোৰ মুখত চন্দ্ৰ আছে নে নাই জুবিন দা?"

"নাই, তোৰ মুখত এজাক ৰ'দ আছে। ৰ'দালি হ'ব লাগিছিল নামটো।"

কথাটো কৈ আঁতৰি গৈছিল জুবিন দা। চন্দ্ৰালীয়ে সন্ধ্যাৰ কান্ধতে মূৰটো পেলাই দি কৈছিল,

"সন্ধ্যা অ', মোক ৰ'দালি বুলি মাতিবা অ' আজিৰ পৰা।"

সন্ধ্যাও তাইৰ লগতেই সেইখিনিত তধা লাগিছিল। জুবিন গাৰ্গৰ লগত সিহঁতৰ কথা। কিবা যেন সপোন সপোন লাগিছিল। চন্দ্ৰালী সাৱটি ধৰিছিল সন্ধ্যাই,

"বা, থেংক ইউ চ' মাচ্চ। তোমাৰ কাৰণেই জুবিন দাক ইমান কাষৰ পৰা পালোঁ আজি।"

চন্দ্ৰালীয়ে হাঁহিছিল। এই মৰমলগা ছোৱালীজনীৰ কথা তাই কেনেকৈ পেলাব পাৰেনো। কথা পাতি পাতিয়ে হোষ্টেল পাইছিলগৈ।

জুবিন বাহিৰে নীলাচলত সোমালে লাঞ্চ কৰিবলৈ। সেইদিনা নীলাচলক দেখি এনে লাগিছিল যেন গোটেই অসমৰ জুবিন বলীয়াজাক অকল নীলাচলতেই সোমাই আছে। যি কি নহওঁক, হয়তো সেই দেওবাৰটোৱেই এতিয়ালৈকে তেজপুৰ ইউনিভাৰ্চিটীৰ ইতিহাসত আটাইতকৈ উছাহভৰা দেওবাৰ।

Kaushik

অৱশেষত বহু প্ৰতীক্ষাৰ অন্তত সেই দিনটো আহিল। ৰিলিজ হ'ল মিছন চাইনা। গোটেই অসমত যেন এক উৎসৱহে আৰম্ভ হৈছে। কোনো কোনো কলেজত চিনেমাখন ৰিলিজ হোৱাৰ দিনা বন্ধও দিয়াৰ বাতৰি আহিছে। তেজপুৰ বিশ্ববিদ্যালয়ত অৱশ্যে ইমানখিনিও আশা নকৰে কোনেও। সেইবাবেই অভিমন্যুহঁতে ঠিক কৰিছিল ক্লাছৰ সিহঁতৰ গ্ৰুপটো একেলগে দেওবাৰে যাব চিনেমা চাবলৈ। পিছে ময়ূঁৰহে নৰ'ল। প্ৰিয়ানুজ আৰু দীপকৰ লগত সি ৰিলিজ হোৱাৰ দিনাই চালেগৈ। অভিমন্যুয়ে ভালেই পাইছে। সি যে অন্ততঃ গৈছে ওলাই চিনেমাখন চাওঁ বুলিয়ে। সেয়াই বহুত। শুক্ৰবাৰে অফ পিৰিয়ডত অনুৰণক কেন্টিনত দেখি সন্ধ্যাও সোমাল। আজিকালি যেন তাই কিছু সময় তাক পাবলৈও অজুহাত বিচাৰি ফুৰে। এৰা, মৰম যেতিয়া বুকুৰে বাগৰে সময়বোৰো অজুহাত হৈ নিগৰে।

"কি কৰিছা?" সন্ধ্যাই অনুৰণ বহি থকা চকীখনৰ সমুখৰ চকীখনত বহি লৈ সুধিলে।

"জেৰক্স অলপ আছিল। কৰাবলৈ দি ৰৈ আছোঁ।" সি ক'লে।

এনেতে কেন্টিনৰ বা জনীয়ে কফি দুকাপ দি গ'ল। এই কেন্টিনখন খোলাৰ পৰা যে কফি সন্ধ্যাৰ বাবে এক নিচা হৈ গৈছে। কফিত চুমুক দি তাই সুধিলে,

"পৰহিলৈ যাবাতো চিনেমা চাবলৈ?"

"অঁ, যাম। তুমি?"

"যাম। বাছতে যোৱা হ'ব চাগে নহয়?"

"অভিয়ে বাছতে যোৱাৰ কথা কৈছিল। চাৰিটাত শ্ব' আছে হেনো।"

কথাটো কৈ এবাৰ জেৰক্স কেইটা হ'ল নেকি উলটি চালে অনুৰণে। হোৱা নাই, কৰিয়ে আছে।

"তোমাৰ লগৰটোৰ বাইকখন কি হ'ল?"

ঘপকৈ সন্ধ্যাই সোধা প্ৰশ্নটোত অনুৰণে তাইলৈ চালে। তাৰ হোষ্টেলৰ লগৰ এটাৰ বাইক এখন আছে। মাজে মাজে সি টাউনলৈ লৈ যায়। সন্ধ্যাই জানে সেইটো কথা। সেই কাৰণেই সুধিছে হ'বলা।

"আছে বাৰু সেইখন।" সি ক'লে।

"সেইখনেই লৈ যাব পাৰা চোন।"

"অকলে অকলে কি নিম আৰু বাইক। চব বাছতেই যাব যেতিয়া।"

অনুৰণৰ কথাত মুখখন ফুলি উঠিল সন্ধ্যাৰ। ইমান থিনি কোৱাৰ পাছতো সি বুজি পোৱা নাই নে? এনেই চোন খুব কয়, মই জানোতো মই বুজোতো। এতিয়ানো কি হ'ল। ইয়াতকৈ বেছি কৈ তাই নিজকে নিলাজ বুলি প্ৰমাণ কৰিলেহে হ'ব।

"দাদা, এই কেইটা হ'ল।"

কেন্টিনৰ ল'ৰাটোৰে চিঞৰিলে। সন্ধ্যা থিয় হ'ল,

"যাওঁ মই।"

"ৰ'বা, জেৰক্সটো লৈ একেলগে যাওঁ।"

Kaushik

"নালাগে, আহি থাকা তুমি।" বুলি সন্ধ্যা আঁতৰি আহিল। অনুৰণে মিচিকিয়া হাঁহিৰে তাইলৈ চাই মাতিলে,

"ঐ টিকলি।"

সন্ধ্যাই ঘোপাকৈ ঘূৰি চালে,

"কি হ'ল?"

"বেগটো" বুলি কৈ টেবুলখনলৈ আঙুলিয়ালে অনুৰণে। সন্ধ্যাই পাহৰণিতে বেগটো এৰি আহিছিল তাত। ঘূৰি আহি বেগটো লৈ অনুৰণৰ পেটতে মিহিকৈ ঘোঁচা এটা মাৰি তাই ক'লে,

"টিকলি নহয় মই।"

তাৰ পাছত খৰ খোজেৰে ওলাই আহিল। অনুৰণে হাঁহি হাঁহি চাই ৰৈছিল।

দেওবাৰৰ দিনা পখীও সন্ধ্যাহঁতৰ লগতেই ওলাল। সন্ধ্যাই অভিমন্যুক কওঁতে সি ওলোটাই ক'লে,

"আজি মোৰ চিনেমা চোৱা নহ'ব আৰু।"

ফোনটো লাউডত আছিল। পখীয়ে উত্তৰ দিলে,

"মোকেই চাই থাকিবা দিয়া।"

অভিমন্যুয়ে সন্ধ্যাকে গালি দিলে,

"বৰ অভদ্ৰ তই।"

পখী আৰু সন্ধ্যাই চিঞৰি চিঞৰি হাঁহিছিল। একমাত্ৰ পখীৰ ওচৰতেই যি অভিমন্যুৰ মুখৰ মাত নোহোৱা হয়।

প্ৰায় আঢ়েটা মান বজাতেই সিহঁত যাবলৈ সাজু হ'ল। নহ'লে বাছত ছিট পোৱা অসম্ভৱ। এনেই দেওবাৰ তাতে জুবিনৰ চিনেমা লাগি আছে। এতিয়ালৈকে হয়তো তেজপুৰৰ হলত এনেকুৱা এটাও শ্ব' যোৱা নাই য'ত ইউনিভাৰ্চিটীৰ ষ্টুডেণ্ট এটা হ'লেও নাই।

Kaushik

জুৰিহঁত আহি Essentialত ৰৈয়ে আছেহি। অভিমন্যু, ৰাজদ্বীপ আৰু আৰিফ আগতেই গৈ বাছত বহিলেগৈ। বাকী কেইটা যাব একেলগে। পখীৰ ওলাই হ'লেই। সন্ধ্যাই বেগত পানী বটল আৰু মোবাইলটো ভৰাবলৈ লওঁতেই দেখিলে মেচেজ এটা,

"Moi bike loi jam"

অনুৰণে দিছে। হাঁহি উঠাৰ লগতে খঙো উঠিল সন্ধ্যাৰ। সি এতিয়া এই মূৰামুৰি সময়ত ক'ব লাগে নে বাৰু? চব ৰৈ আছে ইফালে তাইলে। এতিয়া কেনেকৈ কয়নো তাই? তথাপি প্ৰেমত পৰিছে যেতিয়া এইবোৰ সৰু সুৰা ৰিস্কটো ল'বই লাগিব। তাই পখীক ক'লে,

"পখী, তই প্ৰিয়াৰ লগতে গৈ থাক না। মই অলপ পাছতে গৈ আছোঁ।"

"ঘপকৈ কি হ'ল আকৌ তোৰ?" পখীয়ে সুধিলে।

"নহয় মানে, প্লাৱিতাই বুক এখন পবিতৰাৰ কৰৱী বাক দিবলৈ কৈছিল। কৰৱী আহি আছে টাউনৰ পৰা। পাঁচ মিনিট লাগিব। মই দি থৈয়ে গুছি যাম।"

সন্ধ্যাৰ কথাটো একেবাৰে মিছাও নহয়। সঁচাকৈ প্লাৱিতাই কৰৱীক দিবলৈ কিতাপ এখন দিয়াতো হয়। কিন্তু সেইখন সন্ধ্যাই অলপ আগত দি আহিলেই। তথাপি এতিয়া সেইটো বাহানায়ে বিচাৰি পালে তাই। কিন্তু পখীক মনোৱাও ইমান সহজ নহয়। তাই ওলোটাই ক'লে,

"হাৰে, সেইটোনো কথা হ'ল নে? হোষ্টেলৰ ছিকিউৰিটীক দি আহ।"

"নাই অ'। তেনেকৈ দিব পৰা হ'লে চোন প্লাৱিতায়ে দিলেহেঁতেন। বেয়া লাগে ন।"

এইবাৰ যেনিবা পখীয়ে মানিলে। ওলাই যাওঁতে সন্ধ্যাক কৈ গ'ল,

"বেছি দেৰি হ'লে যাব নালাগে। Essentialৰ বাছ ষ্টেণ্ডতে ৰৈ দিবি। মই ছিট থৈ দিম।"

পখী আৰু প্ৰিয়া সন্ধ্যাক এৰি essentialপালেগৈ। তাত অথনিৰে পৰা জুৰি, নিমিষা, সীমা আৰু বিশ্বজিৎ ৰৈয়ে আছিল। সন্ধ্যা অলপ পাছত আহিব বুলি কওঁতে এবাৰ বিশ্বজিতে কৈছিলেই,

"মই ৰৈ দিওঁ নহ'লে তাইলৈ।"

Kaushik

"ঐ, হ'ব। নালাগে ব'ল। চাঞ্চ ল'ব নালাগে তই।" বুলি জুৰিয়ে ধমকি মাৰি লৈ গ'ল তাক। সিহঁত যোৱাৰ অলপ সময় পাছত সন্ধ্যা ওলাই আহিল Essential লৈ। তাই জানে দেওবাৰৰ আবেলিৰ বাছ Essential ত ৰখোৱাৰ উদাহৰণেই নাই। যি ভিৰ হয়, ক'ত ৰাখিব আৰু। সেইবাবেই চব দৌৰি দৌৰি বাছষ্টেণ্ড পাইগৈ। এই প্ৰথম সন্ধ্যাই ইচ্ছা কৰি বাছখন এৰি দিছে। সঁচাই, মানুহক যে কি কি কৰোঁৱাই এই ভালপোৱাই। অলপ পাছতে সন্ধ্যাই ভবাৰ দৰেই বাছখন ভুৰুংকৈ পাৰ হৈ গ'ল। বাছষ্টেণ্ডটোত ৰৈ থকা মানুহখিনিৰ অস্বস্তিভৰা মুখখনৰ বিপৰীতে সন্ধ্যাৰ মুখত ফুটি উঠিছিল এটি দুষ্টালিভৰা হাঁহি। লগে লগেই অভিমন্যুয়ে ফোন কৰিলে। গালি খাবলৈ সাজু হৈ ফোনটো ৰিচিভ কৰিলে সন্ধ্যাই। লগে লগেই তাৰ গালি,

"মূৰ্খ নে কি তই? নাজান নেকি যে বেছি ভিৰ হ'লে বাছ ক'তো নৰখাই? আগতেই কৰি থ'ব নোৱাৰ কামবোৰ?"

"ছৰী।" সন্ধ্যাই সৰুকৈ ক'লে।

"হ'ব। অনুৰণ বাইকত আহিব। ফোন কৰি তাৰ লগতে আহি যা।"

মিচিকিয়া হাঁহি এটাৰে ফোনটো কাটিলে তাই। "কেতিয়াবা কাৰোবাৰ কাৰণে মিছা কথা কৈও ভাল লাগে।" অনুৰণৰ এই কথাটোৰ অৰ্থ যেন আজিহে বুজি পাইছিল সন্ধ্যাই। অনুৰণলৈ বুলি ফোন লগালে। সি লগে লগেই উঠালে। যেন তাইৰ ফোনটোৰ বাবেই ৰৈ আছিল।

"বাছ মিছ হ'ল মোৰ। তুমি গ'লা নেকি?"

সন্ধ্যাই ক'লে।

"অহ, মইতো অথনিয়ে আহিলোঁ।"

"কি? ফটুৱামি নকৰিবা দেই ৰণ।"

হাঃ হাঃ কৈ হাঁহি হাঁহি কৈছিল সি,

"পাটকাইৰ ফালে আহা।"

ফোনটো কাটি সন্ধ্যা আগবাঢ়িছিল পাটকাইৰ আগলৈ। কাণত হেডফোনত মিছন চাইনাৰে গানটো বাজি আছিল,

"আজি দেখো হিয়া কঁপে,

Kaushik

আজি দেখো মনে নাচে,

চিনাকি চিনাকি লাগে তোমাকে"

পাটকাইৰ আগত অনুৰণ ৰৈয়ে আছিল। আজিকালি বাইক ইউনিভাৰ্চিটী কেম্পাছৰ ভিতৰত চলাবলৈ নিদিয়ে। গতিকে বাহিৰৰ ষ্টেণ্ডটোতে থয় চবেই। নিজৰ নিজৰ কুপনটো দি বাইক লৈ যায় এণ্ট্ৰী কৰি। সন্ধ্যা অনুৰণৰ লগতে আগবাঢ়িল গেটৰ ফালে। গৈ থাকোঁতেই সি ক'লে,

"কিয় মিছ হ'লনো বাছ?"

"কৰৱী বাক কিতাপ এখন দিবলৈ আছিল।"

সন্ধ্যাই কোনোমতে হাঁহিটো ৰখাই ক'লে। অনুৰণে তাইলৈ চাই হাঁহি মাৰি সৰুকৈ কৈছিল,

"বদমাছ।"

"মইহে বদমাছ? নিজেই ইমান মুৰামুৰি টাইমত কৈছা বাইকত যাম বুলি।"

"মই তোমাক লৈ যাম বুলি কোৱা নাছিলোঁ নহয়।" মুখৰ হাঁহিটো টিপি অনুৰণে ক'লে।

অনুৰণৰ কথাত ৰৈ গ'ল সন্ধ্যা,

"ঠিক আছে। নালাগে যোৱা। টেম্পুতে যাম মই।"

"ধেমালি কৰিছোঁ অ'। ব'লা। দেৰি হ'ব।"

কি যে আছে অনুৰণৰ এই মাতটোত। সন্ধ্যাই যেন পাহৰি পেলাই সকলো।

বাইকত বহি থওঁ নথওঁকৈ অনুৰণ বাহুত হাতটো থ'লে সন্ধ্যাই। তাই অনুভৱ কৰিছিল, ক'ৰবাত অনুৰণো যেন কঁপি উঠিছে। ভালপোৱাৰ পৰশ এনেকুৱাই নেকি বাৰু। তাই এবাৰো কোৱা নাছিল যে তাই অনুৰণৰ লগত যাব খোজে। তেনেকৈ অনুৰণেও কোৱা নাছিল তাইক ৰৈ যাবলৈ। কথাবোৰ নাপাতিও যেন কথা পাতিছিল সিহঁতে। নোকোৱাকৈও যেন বহু কিবা কিবি কৈ পেলাইছিল। নুবুজাকৈও বহু কথাই বুজি পাইছিল। বাইকখন আগবাঢ়িছিল। সন্ধ্যাৰ মেলি অহা চুলিখিনি উৰিছিল বাৰে

Kaushik

বাৰে। যেন বতাহ জাকেও কিবা জোকাইছেহে তাইক। অনুৰণে সমুখৰ আইনাত তাইলৈ চাই থকাটো ধৰা পেলাই সন্ধ্যাই এবাৰ কৈছিল,

"ঐ ল'ৰা, আগলৈ চোৱা দেই। পৰিবা কিন্তু।"

"চিন্তা নকৰিবা, ইমান সহজে নপৰোঁ মই।"

"সেইটোৱেইতো প্ৰব্লেম।" ঘপকৈ সন্ধ্যাৰ মুখৰ পৰা ওলাই গ'ল।

"কি? কি ক'লা?" অনুৰণে সোধোঁতে সন্ধ্যাৰ নিজলৈকে থং উঠিল। কি খন যে বকি আছে তাই।

"নাই, একো নাই। ব'লা।" বুলি কৈ মনে মনে থাকিল সন্ধ্যা। ওঁঠৰ কোণত লাগি ৰৈছিল লাজ অকণ হাঁহিৰ আকাৰত।

জোনাকী চিনেমা হল। বৰ্তমান তেজপুৰৰ একমাত্ৰ চিনেমা হলটোৰ জৰাজীৰ্ণ অৱস্থাটো দেখি মনটো সেমেকি গৈছিল সন্ধ্যাৰ। এই অৱস্থাত দেখিলে কোনে ক'ব যে এইটোৱে অসম তথা গোটেই উত্তৰ পূৰ্ব্বাঞ্চলৰেই প্ৰথম চিনেমা হল। চৰম অৱহেলাত যেন লাহে লাহে পৰিত্যক্ত হ'বলৈ লৈছে হলটো। তেজপুৰত আৰু চিনেমা হল নাই বুলিহে চলি আছে যেন তেনকৈ। নহ'লে চাগে বন্ধই হৈ গ'ল হয়।

অভিমন্যুহঁতে টিকট ল'বলৈ লাইনত ৰৈ থাকোঁতেই সন্ধ্যাহঁতো পালেগৈ। মানুহৰ ভিৰ দেখি অবাক হৈ গৈছিল সন্ধ্যা। এক মূহুৰ্তৰ বাবে এনেকুৱা লাগিছিল যেন এটা দশক পিছুৱাই গৈছে সিহঁত। সেই কন্যাদান, নায়কৰ দিনবোৰ যেন ঘূৰি আহিছে। অসমীয়া চিনেমা আহিছে বুলি ক'লেই এটি সময়ত বাছ ভাৰা কৰি মানুহ আহিছিল। হঠাৎ যে কি খেলিমেলিবোৰ হৈ গ'ল। এতিয়া মিছন চাইনাক এইদৰে সকলোৱে আঁকোৱালি লোৱা দেখি সঁচাই ভাল লাগিছিল। আহিবলগা প্ৰত্যেকখন অসমীয়া ছবিয়েই যেন এই গতিয়ে লাভ কৰক। টিকটকেইটা লৈ সোমাই যাবলৈ লওঁতেই সন্ধ্যাহঁতে দেখিলে হলৰ ভিতৰৰ পৰা ওলাই আহিছে শিখা আৰু সিদ্ধাৰ্থ। অভিমন্যুয়ে লগে লগেই আৰম্ভ কৰিলেই,

"আমাৰ হৰ গৌৰী হালে আমাতকৈ আগতেই চাই মেলি আজৰি মানে।"

Kaushik

সন্ধ্যাই আগবাঢ়ি গৈ মাত দিলে শিখাক। সেই মিৰিজীয়ৰী শেষ হোৱাৰ পাছত লগেই পোৱা নাই। মাজতে অভিৰ লগত তাইৰ ব্ৰেক আপৰ খবৰটো পাই ফোন কৰিছিল শিখাই। সন্ধ্যাই তাইক কথাখিনি বুজাই কৈছিল।

"ভালনে ৰুণজুন?" শিখাই সন্ধ্যাক ঘৰৰ নামটোৰেই মাতে। সেইটো অধিকাৰ অৱশ্যে সন্ধ্যাই নিজে দি থোৱা।

"ভাল ভাল বৌ। পিছে আহিছা বুলি খবৰো দিয়া নাই নহ?"

সন্ধ্যাৰ কথাত শিখাই ক'লে,

"ঘৰৰ পৰা আহি বাহিৰে ইয়াতে সোমাইছোঁ। কেম্পাছতে থাকিম আজি। লগ পাম আবেলি। কথা আছে।" বুলি আঁতৰি গৈছিল শিখাহঁত। সন্ধ্যাই বুজি পাইছিল শিখাৰ কি কথা আছে। তাইৰ মাতটোতে গম পাইছে সন্ধ্যাই। সিহঁতৰ সম্পৰ্কৰ সমস্যাটো শেষ হোৱাই নাই চাগে। কিয় যে মানুহবোৰ ইমান অবুজন। কথাবোৰ ভাবি ভাবিয়ে হলৰ ছিটত বহিলগৈ সন্ধ্যা। ছিটবোৰৰো তেনেই বেয়া অৱস্থা। ইমান ঐতিহাসিক হল এটা এই অৱস্থাত দেখি নিজৰ মাজতে ক্ষোভ উজাৰিছিল সিহঁতবোৰে।

চিনেমাখন ডেৰ ঘণ্টাৰ। খুব সাংঘাতিক কিবা এখন নহয় যদিও বৰ বেয়াও নাপালে সন্ধ্যাহঁতে। বিশেষকৈ কাৰিকৰী দিশত অসমীয়া চিনেমাত আগতে নেদেখা বহুখিনি দেখা পাইছিল। লগতে সংগীতৰ ক্ষেত্ৰতো নতুনকৈ কোৱাৰ প্ৰয়োজনেই নাই জুবিনক। চিনেমা চাই ওলাই আহোঁতেই জুৰিয়ে সন্ধ্যাক ক'লে,

"সন্ধ্যাৰ ভালেই হ'ল বাছ মিচ হৈ। আমি থেলা হেঁচাত আহিছো। তই আৰামত আহিব পাৰিলি।"

জুৰিৰ কথাৰ লগে লগে অভিমন্যুয়ে ক'লে,

"বহুত হ'ল আৰাম। এতিয়া মই যাম বাইকত। সন্ধ্যা, বাছত যা তই।"

সন্ধ্যাই একো নকওঁতেই পখীয়ে ক'লে,

"নহ'ব নহ'ব। মই যাম বাইকত। বাছৰ থেলা হেঁচাত গা বেয়া লাগি যায়।"

সন্ধ্যাই অসহায় দৃষ্টিৰে অনুৰণলৈ চাইছিল। অনুৰণে হাঁহি মাৰি ক'লে,

kaushik

"এটা কাম কৰা। অভিমন্যুয়ে লৈ যোৱা বাইকখন। পথীও গুছি যোৱা তাৰ লগতে। মই আৰু সন্ধ্যা ইহঁতৰ লগত বাছতে যাওঁ।"

"মজা মজা। থেংকচ দেই।" অভিমন্যুয়ে হাঁহি মাৰি কৈ উঠিল।

কোনেও নুশুনাকৈ সন্ধ্যাই অনুৰণৰ কাষ চাপি ক'লে,

"বদমাছ।"

অনুৰণে একো নকৈ মাত্র হাঁহিছিল।

বাহিৰতে হোটেল এখনত খাই অনুৰণহঁত বাছষ্টেণ্ডৰ ফালে আহিল আনফালে অভিমন্যু আৰু পথী বাইকত আহিবলৈ ৰ'ল।

"দিয়া চাবিটো।" অনুৰণৰ পৰা চাবিটো পথীয়ে লৈ থোৱাৰ বাবে বাইকৰ ষ্টেণ্ডডাল উঠাই অভিমন্যুয়ে ক'লে।

"কি দিয়া চাবি আকৌ? বাইক মই চলাম।"

"কি?" পথীৰ কথাত চিঞৰ মাৰি দিছিল অভিমন্যুয়ে। পথীয়ে আকৌ ক'লে,

"কি হ'ল ইমান চিঞৰিবলে? বাইক অকল ল'ৰাইহে চলাব জানে নেকি? মই বাইক চলোৱাৰ ফুৰ্তিতেই বাছত নাযাওঁ ক'লো।"

কথাখিনি কৈ পথীয়ে তাইৰ বেগৰ পৰা লাইচেন্স উলিয়াই দেখুৱালে। অভিমন্যুয়েও বুজিলে এইক আৰু কৈ লাভ নাই। সন্ধ্যা নহয় যে ধমকি মাৰি কথা মনাব। উপায় নাপাই সি তাইকে চলাবলৈ দিলে।

"বহা।" বাইক ষ্টাৰ্ট দি পথীয়ে ক'লে। অভিমন্যু ভয়ে ভয়ে উঠি বহিল। সি সঁচাই ভবা নাছিল যে তেজপুৰৰ ইমান ভিৰৰ মাজতো পথীয়ে ইমান সুন্দৰকৈ বাইক চলাই নিব। লাহে লাহে ভয়টো আঁতৰিছিল তাৰ।

বাছ ষ্টেণ্ডত মানুহৰ বৰ বিশেষ ভিৰ নাই। সন্ধ্যাহঁত উঠি বহি ল'লে। তাইৰ কাষতে অনুৰণ বহিল। জুৰি আৰু সীমাহঁত পিছফালে। একেবাৰে আগত নিমিষা আৰু প্রিয়া। মানুহ দুই এটাকৈ আহি আহি প্রায় ভৰ্তি হৈছেহি বাছ।

"কেনেকুৱা পালা চিনেমা?" সন্ধ্যাই সুধিলে।

Kaushik

"ভালেই। অলপ বেছি ফাষ্ট যোৱা যেন লাগিল খালী।"

অনুৰণৰ কথাত শলাগিলে সন্ধ্যাইও। তাইৰো অলপ তেনে অনুভৱ হৈছিল বাৰু। তথাপি জুবিনৰ নিজৰ প্ৰথম চিনেমা বুলি ঠিকে আছে আৰু। ইয়াৰ পিছৰবোৰত আৰু ভাল হ'ব বুলি আশা ৰাখিব পাৰি।

সদায় বাছখন ৰৈ থকা সময়কণ নাযায় নুপুৱাই লাগে সন্ধ্যাৰ। এই প্ৰথমবাৰলৈ তাই অলপো আমনি পোৱা নাই বাছত। এনেকুৱাই হয় চাগে, বিশেষ জনৰ সান্নিধ্যত সময়ৰো হিচাপ নাথাকে। কাষত থাকিলে যেন এবছৰো এদিন আৰু আঁতৰিলেই এদিনো এবছৰ। এনেই হীৰু দাই "আৱৰণ খুলি হৃদয় জুৰাই" বুলি লিখিছিল নে!

বাছখন সম্পূৰ্ণ হ'ল। কোনোবাটো ছিটত জোৰকৈও বহিছে উপৰা উপৰিকৈ। ষ্টাৰ্ট দিলে। অনুৰণহঁতৰ ছিটৰ কাষতে অথনিৰে পৰা বয়সিয়াল মানুহ এগৰাকী থিয় হৈ আছে। ছিট খালী নাই বাবেই তেওঁ কাকো অনুৰোধো কৰা নাই। জানেই আধা ঘন্টা সময় থিয় হৈ যাবলৈ কোনেও ছিট এৰি নিদিয়ে। বাছখন চলিবলৈ লওঁতেই হঠাৎ অনুৰণে থিয় হৈ তেওঁক ক'লে,

"আপুনি বহি লওঁক তাতে।"

মানুহগৰাকী প্ৰথমতে আচৰিত হৈছিল। তাৰ পাছত অনুৰণৰ মূৰত হাত ফুৰাই তাৰ ছিটটোত সন্ধ্যাৰ কাষতে বহিলে। সন্ধ্যাৰ মন আছিল গোটেই বাটটো অনুৰণৰ সৈতে কথা পাতি যোৱাৰ। কিন্তু অনুৰণৰ এইটো কামে তাৰ প্ৰতি তাইৰ সন্মান সঁচাই আৰু বঢ়াইহে তুলিলে। সঁচাই সকলোতকৈ বেলেগ তাইৰ অনুৰণ। থিয় হৈ থকাৰ পৰাই দোষী দোষী ভাৱেৰে এবাৰ তাইলৈ চাই হাঁহিলে অনুৰণে। সন্ধ্যাইও হাঁহিৰে চকু কেইটাৰ পলক জপাই যেন তাক বুজাই দিলে,

"একো নহয়, নাই পোৱা মই বেয়া।"

সন্ধিয়া শোৱাৰ পৰা উঠি ময়ূঁৰক লৈ গেটৰ বাহিৰত খাবলৈ বুলি ওলাই গৈছিল অভিমন্যু। অথনি চিনেমা চাই আহিয়েই যে শুলে এতিয়াহে ময়ূঁৰে জগাওঁতে সাৰ পাইছে। সিহঁত দুইটা পাটকাইৰ সন্মুখৰ ৰুমটো পাওঁতেই সিফালৰ পৰি বিকাশ বোলা ল'ৰাটোৱে মাতি ৰখালে। অভিমন্যুহঁত ৰৈ যোৱাত বিকাশ ওচৰ চাপি ক'লে,

Kaushik

"হেৰি নহয় অভিমন্যু, তোমাৰ লগৰ যে অনুৰণ। তাৰ আৰু তোমাৰ এক্স গাৰ্ল ফ্ৰেণ্ড সন্ধ্যাৰ কিবা চলি আছে নেকি হে?"

অভিমন্যু আৰু ময়ূঁৰে আচম্বিত দৃষ্টিৰে বিকাশলৈ চালে। বিকাশে আকৌ ক'লে,

"নহয় মানে, কেণ্ডেল মাৰ্চৰ দিনা দেখিলোঁ পুলত একেলগে বহি আছে ৰাতি। সিদিনা বাহতো দেখিলোঁ একেলগে আহিছে। অনুৰণতো তোমাৰ ভাল বন্ধু। নিজৰ লগৰ এটাৰ এক্সৰ লগত ইমান হলি গলি কৰাটো ভাল নেদেখি আৰু দেই। নে তাৰ কিবা বেলেগ মতলব আছে।"

অভিমন্যুৰ মুখৰ বৰণ যেন সলনি হৈছিল বিকাশৰ কথাখিনিৰ লগত। ময়ূঁৰে ধৰিব পৰা নাছিল তাৰ অভিব্যক্তিটো কিহৰ। ক্ৰমাৎ চেলাউৰি কেইডাল থোপাই ৰৈ গৈছিল অভিমন্যু।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 89

যেতিয়া এটা সম্পৰ্ক অন্তৰৰ পৰা পালন কৰা হয়, তাক কোনো সন্দেহ, ব্যক্তি নাইবা দূৰত্বই শেষ কৰিব নোৱাৰে। আৰু এই দুবছৰে নানা ঘটনা পৰিঘটনা পাৰ কৰি অভিমন্যু আৰু সন্ধ্যাৰ সম্পৰ্কটো ঠিক তেনেকুৱাই হৈছিল।

"কি ভাবিছা অভিমন্যু? মোৰ সন্দেহ হৈছে তোমাৰ ব্ৰেক আপ এই অনুৰণেই কৰোৱা নাইতো? সি বেটাই তোমাক ব্ৰেক আপ কৰাই নিজে পূৰা মজা লৈ আছে।"

অভিমন্যুৰ ধৈৰ্য্যৰ বান্ধ ছিঙিবলৈ সেইখিনিয়ে যথেষ্ট আছিল। অনুৰণ তাৰ ময়ূঁৰৰ নিচিনাকৈ অন্তৰংগ বন্ধু নহয় সঁচা, কিন্তু ইউনিভাৰ্চিটীত অহাৰ পৰাই ছাঁৰ দৰে লগত থকা অনুৰণক সি যথেষ্ট সন্মান কৰে। সেই অনুৰণৰ বিষয়ে কোনোবাই এনে ধৰণৰ কথা ক'ব আৰু সি শুনি থাকিব নে। খঙত একো নাই হৈ বিকাশৰ ডিঙিত ধৰি কাষৰ ৱালখনত হেঁচি ধৰিলে। চেঁপা চেঁপা মাতেৰে বিকাশে ক'লে,

"মোক কেলে মাৰিছা বে? বন্ধুয়ে যেতিয়া এক্সৰ লগত---"

"চুপ। একদম চুপ। আৰু এবাৰ যদি অনুৰণৰ কথা বেয়াকে কঁৰ, এনেকুৱা অৱস্থা কৰিম মাৰে বাপেৰে চিনি পাবলে ডি এন এ টেষ্ট কৰাব লাগিব।"

খঙত মাতটো কঁপি উঠিছিল অভিমন্যুৰ। বিকাশ পেঁপুৱা লাগিছিল ভয়ত। অভিমন্যুৰ আগত কথা লগাবলৈ আহি এইটো অৱস্থা হ'ব বুলি বেচেৰাই কল্পনাও কৰা নাছিল। ময়ূঁৰে আগবাঢ়ি আহি অভিমন্যুৰ বাহুত হাত থ'লে। লগে লগে বিকাশক এৰি দিছিল অভিমন্যুয়ে।

"বিকাশ, কোন কাৰ কাষত বহিছে। কোন কাৰ লগত ঘূৰিছে এইবোৰ চকু দিয়াতকৈ অলপ নিজৰ কামত লাগাচোন। ইয়াত পঢ়ি আছা যেতিয়া ইমানোতো কাম নাইকিয়া নহয় চাগে।"

ময়ূঁৰৰ কথাত মুখ লাজত ৰঙা পৰি গৈছিল বিকাশৰ। খং উঠিছিল যদিও একো নকৈ তলমূৰকৈ আঁতৰি গৈছিল সি। অভিমন্যু আৰু ময়ূঁৰো বাহিৰলৈ খোজ ল'লে।

"অনুৰণক কথাটো সুধিবি নেকি?"

গৈ থাকোঁতে হঠাৎ ময়ূঁৰে সুধিলে। মোবাইল টিপি গৈ থকা অভিমন্যুয়ে মূৰ নোতোলাকৈয়ে সুধিলে,

"কি কথা?"

"সন্ধ্যাৰ কথাটো। বিকাশে যে--"

ময়ূঁৰক শেষ কৰিবলৈ নিদি অভিমন্যুয়ে ক'লে,

"পাগল হৈছ নি? কিয় সুধিম বাৰু তাক সেইবোৰ?"

"তেন্তে সন্ধ্যাক সোধ নহ'লে।"

ময়ূঁৰৰ কথাত আচৰিত হোৱাৰ দৰে হৈ অভিমন্যুয়ে কৈছিল,

"কিহে পাইছে তোক? সন্ধ্যাক কিয় সুধিম আকৌ মই? যদি ক'বলগীয়া কিবা কথা তাইতো ক'বই মোক। যাৰ তাৰ কথা শুনি মই সিহঁতক কিয় সুধিম? আৰু সেইটো সিহঁতৰ লাইফ ভাই। মন গৈছে ক'ৰবাত বহিছে, ফুৰিছে। তাত মই কেলে মাত মাতিম আকৌ?"

Kaushik

"যদি কাইলৈ অনুৰণ আৰু সন্ধ্যা প্ৰেমৰ সম্পৰ্কত আহে, তেতিয়া? সহ্য কৰিব পাৰিবি নে তই?"

ময়ূঁৰে প্ৰশ্নটো কৰাত কিছু শান্ত হৈ অভিমন্যুয়ে তালৈ চাই ক'লে,

"যদি সঁচাই এনেকুৱা হয় ময়ূঁৰ, মোতকৈ সুখী আৰু কোনো নহ'ব চাগে।"

অভিমন্যুৰ উত্তৰ যেন একেবাৰে অপ্ৰত্যাশিত আছিল। ময়ূঁৰৰ প্ৰশ্নভৰা মুখখনলৈ চাই সি আকৌ ক'লে,

"আচৰিত হৈছ চাগে। কিন্তু মই সঁচাই কৈছোঁ, সন্ধ্যাৰ দৰে এজনী ছোৱালীৰ বাবে অনুৰণতকৈ পাৰফেক্ট ল'ৰা আন কোনো হ'বই নোৱাৰে। আৰু অনুৰণৰ বাবেও সন্ধ্যায়েই বেষ্ট। কিন্তু এই বিষয়ে মইও সিহঁতক একো নোসোধো আৰু তইও নোসোধিবি। কাৰণ যদি সঁচাই তেনেকুৱা কিবা হয়, নেচাৰেলি হওঁক। দুয়ো বুজি পাওঁক। তাৰ পাছত এই বিকাশহঁতৰ দৰে কুকুৰ কেইটাৰ মুখ বন্ধ কৰাৰ দায়িত্ব মোৰ।"

অভিমন্যুৰ কথা শুনি মিচিকিয়া হাঁহি মাৰিছিল ময়ূঁৰে।

"হাঁহিলি যে? মই এনেই কৈছোঁ বুলি ভাবিছ মানে?" অভিমন্যুয়ে সুধিলে। ময়ূঁৰে তালৈ চাই সন্তুষ্টিৰে ক'লে,

"নাই ভবা। আজি মই চিওৰ, তোৰ সন্ধ্যাক ব্ৰেক আপ দিয়াৰ সিদ্ধান্তটো সম্পূৰ্ণ শুদ্ধ আছিল। তহঁতৰ সম্পৰ্কটো তই এতিয়াহে ভালদৰে বুজি পাইছ। মানুহকো তইয়ে বুজাব লাগিব। এইটো কথা জানিবলৈকে মই তেনেকৈ সুধি আছিলোঁ তোক।"

"তই আচৰিত বে মানুহটো। চি আই দিয়ে মাতি নিব তোক কোনোবা দিনা।"

অভিমন্যুৰ কথাত হাঁহি পেলালে ময়ূঁৰে। সিহঁত গৈ বাহিৰ পাইছিলগৈ।

শিখাৰ ফোন কলটো পাই হোষ্টেলৰ পৰা ওলাই আহিছিল সন্ধ্যা। অথনি চিনেমা হলত তাই কৈ থৈছিলেই কিবা কথা আছে বুলি। সেইবাবেই মতাৰ লগে লগে আহি পালেহি। নীলাচলৰ সমুখৰ পুলটোতে বহি আছে শিখা আৰু সিদ্ধাৰ্থ। সিদ্ধাৰ্থই অভিমন্যুলৈ ফোন কৰিছে। বাহিৰত থাই সিও আহিব বুলি কৈছে।

"কোৱা নবৌ, কি কথা আছিল।"

Kaushik

সন্ধ্যা তাইৰ কাষতে বহি শিখাৰ গালখনত চিকুট এটা মাৰি ক'লে।

"নবৌ নহয়, বা বুলি মাতিবা ৰূণ।"

বৰ দুখেৰে ক'লে শিখাই। সন্ধ্যাই সিদ্ধাৰ্থলৈ চালে। তলমূৰ কৰিছে সিও।

"কথাবোৰ ঘৰত এতিয়াও মানি লোৱাই নাই নেকি শিখা বা?" সন্ধ্যাই সুধিলে।

"আমাৰ ঘৰত ককায়েৰাৰ নামেই নুশুনে। অকল চাকৰি আৰু চাকৰি। দুদিন ৰ'বলৈও যেন কাৰোৰে সময় নাই। মানুহক অকল চাকৰিয়েই সুখী কৰিব পাৰে জানো কোৱা। কি যে কৰোঁ মই।"

একে উশাহেৰে কথাখিনি কৈ শিখা ফেঁকুৰি উঠিল। সন্ধ্যাই তাইৰ বাহুত হাত থৈ সিদ্ধাৰ্থৰ ফালে চাই ক'লে,

"ৰ'বাচোন। ইমান ভাঙি নপৰিবা। ধন দা, তই মামাহঁতক কৈছিলি নে শিখা বাৰ কথা?"

"কৈছোঁ। দেউতাহঁতৰ একো আপত্তি নাই। এইৰ ঘৰতহে এইবোৰ।"

এৰা, সিদ্ধাৰ্থহঁতৰ ঘৰখন আজিয়ে সাজু আছে শিখাক বোৱাৰী ৰূপত ল'বলৈ। আপোন ভোলা মোমায়েকহঁতৰ সৰল মনটোৰ কথা সন্ধ্যাইও জানে। শিখা বাৰ দৰে ছোৱালী এজনী বোৱাৰী হৈ গ'লে অকলশৰীয়া মামীয়েক জনীও যে কিমান সুখী হ'ব। কিন্তু শিখাৰ ঘৰত কিয় যে কথাবোৰ বুজা নাই। সন্তানৰ ভৱিষ্যতৰ কথা ভাবোঁতে ভাবোঁতে কেতিয়াবা মাক দেউতাকে সন্তানৰ ইচ্ছা অনিচ্ছাবোৰ নিজেই গম নোপোৱাকৈয়ে মোহাৰি পেলায়।

অলপ পাছতে অভিমন্যু পালেহি। কথাবোৰ গম পাই সি হুলস্থুল কৰিয়ে দিলে,

"এনেকে একো নহ'ব। সিদ্ধাৰ্থ দা, কোৰ্ট মেৰেজ কৰি দিয়ক।"

"মানে? ঘৰত গম নোপোৱাকে?" শিখাই সুধিলে। লগে লগে সন্ধ্যাই কৈ উঠিল,

"এইবোৰ ফটুৱা আইডিয়া নিদিবি দেই। শিখা বাৰ মাক দেউতাকে কিমান কষ্ট পাব ভাবচোন। তাতকৈ এটা কাম কৰিলে কেনে হয়?"

"কি?" সিদ্ধাৰ্থই সুধিলে। সন্ধ্যাই তাৰ ওচৰলৈ উঠি আহি ক'লে,

"ধন দা, যদি মামা মামীহঁতে শিখা বাৰ মাক দেউতাকৰ লগত কথা পাতে, তেতিয়া?"

"কিন্তু মাহঁতে পাতিব জানো?"

"কিয় নাপাতিব? লাগিলে মই আমাৰ মাকো ক'ম। ঘৰৰ ফালৰ পৰা যদি কথাটো আগবাঢ়ে তেওঁলোকে হয়তো মানি ল'বও পাৰে।"

সন্ধ্যাৰ কথাত শিখাৰ মনতো যেন আশাৰ ৰেঙনি জিলিকিছিল। সিদ্ধাৰ্থৰো কথাটো পচন্দ হ'ল। সি মাকহঁতক কোৱাৰ সিদ্ধান্ত ল'লে।

"বঢ়িয়া। চব ঠিক হৈ যাব। আৰু নহ'লে উঠাই দিম তোমাক ঘৰৰ পৰাই।"

অভিমন্যুৰ কথাত হাঁহি উঠিছিল গোটেই কেইটাই।

"তুমি কেতিয়ালৈকে আছা?" শিখাক সুধিলে সন্ধ্যাই।

"কাইলৈকে যাম গৈ। ঘৰত ইয়ালৈ আহিছোঁ বুলি গমেই নাপায়। তেজপুৰৰ লগৰ এজনীৰ বিয়া। তাইৰ তাত আছোঁ বুলিহে জানে।"

শিখাৰ কথা শুনি অভিমন্যুয়ে জোকালে,

"কম প্ৰেম নে এইয়া? বাধা বিঘিনি নেওচি--"

"হ'ব নেকি? বন্ধ কৰ নৌটংকি।" সিদ্ধাৰ্থই ধমকি মাৰিলে। তেনেদৰেই সন্ধিয়াটো পাৰ হ'ল।

সিদ্ধাৰ্থই মাক দেউতাকৰ লগত আলোচনা কৰিব বুলি কথা দি শিখাক পিছদিনা ঘৰলৈ বুলি বাছত উঠাই থৈ আহিল।

আকৌ পালেহি Techxetra। সঁচাকৈ, সময়বোৰ যে কিদৰে গৈছে। এনেকৈয়ে এদিন সন্ধ্যাহঁত যাবৰেই হ'ব। বাৰু যি কি নহওঁক, এইবাৰৰ Techxetra লৈ ৰাইজৰ উছাহৰ অন্ত নাই। নহ'বই বা কিয়, শাসনৰ বাঘজৰীডাল যে এতিয়া নাই। আগৰ ভিচি জন যোৱাৰে পৰা ইউনিভাৰ্চিটী বহুক্ষেত্ৰত শিথিল হৈছেই। জেনেৰেল ফ্ৰেচাৰ্ছেই হৈছিল ৰাতি এটা বজালৈ। গতিকে Techxetra তো আৰু ক'বই নালাগে। তাতে এইবাৰ হেনো গায়ক ৰঘূ দীক্ষিত অহাৰ কথা। খবৰবোৰ পাই ৰীণা, বিদিশা আৰু দীপা বাও আহি ওলাল।

Kaushik

সিহঁত অহাৰ লগে লগে সোঁৱণশিৰীত যেন জোৱাৰহে উঠিছিল। বিদিশা সন্ধ্যাৰ ৰুমতেই থাকিল। চিঞৰ বাখৰ হুলস্থুলে পূৰণা দিনলৈ লৈ গৈছিল সিহঁতক। সঁচাই, কিছুমান সম্পৰ্ক এনেকুৱাই। দূৰত্ব নাইবা সময় একোৱে প্ৰভাৱ পেলাব নোৱাৰে। Techxetra প্ৰতিবাৰেই হয়। কিন্তু এইবাৰৰ আয়োজন যেন আগৰ কেইবাৰতকৈ একেবাৰে পৃথক। কোনো বাধ্যবাধকতা নাই। প্ৰতিজন তেজীয়ান যেন উন্মুক্ত পক্ষী। পাটকাইৰ দেৱাশীষো আহি ওলাইছেহি। তাৰ নতুনকৈ চাকৰিও হৈছে। অভিমন্যুহঁতে "দেৱা দা, ভালকৈ পাৰ্টী লাগিব" বুলি কামোৰ দিয়ে আছে তাক। মেইন গেটৰ চেকিঙো যেন আগৰ কেইবাৰৰ দৰে সিমান কঠোৰ নহয়। চাৰ্টৰ তলত, বেগৰ ভিতৰত, জেকেটৰ পকেটত ৰঙীন বটলবোৰৰ ভিতৰলৈ সুচল ভাৱে আগমণ ঘটিয়ে আছে। মুঠতে আমাৰ ৰাইজ এইবাৰ Techxetra লৈ সম্পূৰ্ণ খুচ। কিন্তু কোনেও সপোনতো ভবা নাছিল আহিব লগা দিনটো তেজপুৰ বিশ্ববিদ্যালয়ৰ বাবে কিমান অভিশপ্ত।

Kaushik

এইবোৰৰ মাজতে ভাল লগা খবৰটো হ'ল, প্ৰথমবাৰৰ বাবে Techxetra ত প্ৰথম দিনা কোনোবা বেগু মতাৰ সলনি নৰ্থ ইষ্টৰ ফ'ক কালচাৰৰ প্ৰগ্ৰাম সমূহ হ'ব। অৰ্থাৎ বিহু নৃত্যৰ পৰা আদি কৰি অৰুণাচলী, মণিপুৰী ইত্যাদি। লগতে অসমৰ মিচিং, বড়ো, তিৱা আদিৰো নৃত্য থাকিব। Techxetra ত এইটো অনুষ্ঠান সন্ধ্যাহঁত অহাৰ পৰাতো হোৱাই নাই, আগতেও হৈছিল নে নাই সন্দেহ আছে। এই খবৰটো পাইয়ে আটাইতকৈ সুখী হৈছিল সন্ধ্যা। কাৰণ তাই এনেও এই বেগুৰ চিঞৰ বাখৰবোৰ ভাল নাপায়।

কালচাৰেল প্ৰগ্ৰেমত সন্ধ্যাহঁতৰ গোটেই জাক একেলগে ওলাল। লগত পখীও। ইফালে অভিমন্যুৰ লগত দীপক আৰু প্ৰিয়ানুজো আহিল। গোটেই ফিল্ডখন ৰঙীন হৈ আছে। এফালে ষ্টেজটো, আনফালে দোকানবোৰ। ৰঙা নীলা লাইটবোৰত যেন প্ৰতিজন তেজীয়ানৰ মনটোহে প্ৰতিফলিত হৈছে। প্ৰগ্ৰাম ষ্টাৰ্ট হোৱাৰ আগতেই সিহঁতবোৰে দোকান এখনত বহি কিবা খাবলৈ লৈছিল। এইবাৰ যে দোকানো ধেৰ আহিছে। হোটেলেই সৰহ বাৰু। বেছি ভাগতে থলুৱা অসমীয়া খাদ্য। পোৰা গাহৰিৰ মঙহ, খৰিকাত দিয়া মাছ, চুঙাত দিয়া মুৰ্গী/গাহৰি, হাঁহৰ মাংস আদি। সন্ধ্যাই জীৱনত খাই নোপোৱা পোৰা গাহৰিৰ মাংস এইয়ে প্ৰথম খালে অভিমন্যুৰ কথাত।

"ঐ, তইও খাঁৰ নে গাহৰি?" অভিমন্যুয়ে প্ৰথম কওঁতে সন্ধ্যাই আচৰিত হৈ সুধিছিল।

"গাহৰি মোৰ প্ৰথম আৰু শেষ প্ৰেম। পৰ্ক বেবীৰ লগত জেং নাই।" মাংস এপিচ মুখলৈ নি সি কৈছিল।

"এই বে। তুমিহে মজা মানুহ।" বুলি পখীৰ হেগুচেক এটা দিছিল অভিমন্যুক। তাই ইপিচৰ পিছত সিপিচকৈ খাইয়ে আছে।

প্ৰথম অৱস্থাত সংকোচ লাগিছিল সন্ধ্যাৰ। কাষতে বহি থকা অনুৰণক সুধিছিল,

"খাওঁ জানো? নাপাই যে গাহৰি খাব।"

"জিভাখনে নিয়ম নীতি বুজি নাপায়। বুজাবও নালাগে।" অনুৰণে হাঁহি মাৰি কৈছিল।

খাওঁ নাখাওঁকৈ প্ৰথম টুকুৰাটো খোৱা সন্ধ্যাই পিছত সিহঁতে নোকোৱাকৈয়ে খাই গৈছিল। সিহঁতে গাহৰি খোৱা দেখি মুখ উন্দোলাই কিছু আঁতৰত বহি থকা দীপকক পখীয়ে মাজতে চিঞৰিছিল,

"ঐ দীপক, এপিছ খাই চা হি না।"

"থাপৰ খাবি। সেই সোপা মোৰ ওচৰলে নানিবি। গাঁৱত গম পালে পৰাচিত হ'ব লাগিব মই।"

দীপকৰ কথাত প্ৰিয়ানুজকে ধৰি গোটেই কেইটাই গিৰ্জনি মাৰি হাঁহিছিল। নীতি নিয়ম বেয়া নহয়, কিন্তু সময় আৰু পৰিস্থিতিৰ তাগিদাত কাৰো ক্ষতি নোহোৱাকৈ কিছুমান নিয়ম পাৰ কৰাত আপত্তি কি। সন্ধ্যাই অন্ততঃ তেনেকৈয়ে ভাৱে। অৱশ্যে ইয়াত জোৰ জুলুমৰ কথা নাহে। অভিমন্যুয়েও সন্ধ্যাক দুই এবাৰহে কৈছিল।

তাতে আড্ডা মাৰি থাকোঁতেই ক'ৰবাৰ পৰা তৌফিক ওলালহি। আহিয়ে অভিমন্যুৰ কাণে কাণে কিবা এটা কোৱাত সি সন্ধ্যালৈ ইংগিত দিলে। তাইও বুজি উঠিছিল কথাটো। লৰালৰিকৈ খোৱাৰ বিলটো দি তৌফিকৰ লগতে অভিমন্যু আৰু সন্ধ্যা একেবাৰে মূৰৰ দোকান খনলৈ গ'ল। তাতে ক'লা ফ্ৰকটো পিন্ধি চিকেন ফ্ৰাই খাই থকা ছোৱালীজনীলৈ আঙুলিয়ালে তৌফিকে।

"এইজনী চোন জেফ্ৰিন বা। কমাৰ্চৰ।"

সন্ধ্যাই ক'লে।

"চুপ, লাহে লাহে ক। শুনিব। তই যা কিবা এটা কৰি তৌফিক দাক চিনাকি কৰাই দে।"

kaushik

অভিমন্যুয়ে সন্ধ্যাৰ কাণে কাণে ক'লে। সন্ধ্যা প্ৰথমে অকলেই আগবাঢ়ি গ'ল। এইফালে তৌফিকক সাজু কৰিবলৈ লাগিল অভিমন্যুয়ে। অলপ সময়ৰ পাছত সিহঁতো সন্ধ্যা আৰু জেফ্রিনৰ ওচৰ পালেগৈ। সন্ধ্যাই এনেকুৱা দেখুৱাইছিল যেন সিহঁতক হঠাৎ লগ পালে।

"জেফ্রিন বা, এইয়া মোৰ ফ্রেণ্ড অভিমন্যু আৰু তাৰ হোষ্টেলৰ চিনিয়ৰ তৌফিক দা।"

"হাই"

তৌফিকৰ একদম "তুঝে দেখা ত' য়ে জানা চনম"ৰ দৰে অৱস্থা। সন্ধ্যাই বুজি পাইছিল বাবেই যিমান পাৰি ধেমেলীয়া কথা উলিয়াই পৰিৱেশটো পাতল কৰিছিল। তাৰ মাজতেই অভিমন্যুয়ে কিবা বাহানা মাৰি তাৰ পৰা উঠি আহিলে। লগতে সন্ধ্যাকো লৈ আনিলে। তৌফিকক ইংগিতত কথা পাতিবলৈ কৈ আহিল। সঁচাই, ভালপোৱা জনক তেওঁৰ প্ৰিয়জনৰ সৈতে মিলাইও এক আনন্দ পোৱা যায়। সেইটো অভিমন্যু আৰু সন্ধ্যা দুইটাই অনুভৱ কৰিছিল।

Kaushik

কিছু সময়ৰ পাছত প্ৰগ্ৰাম আৰম্ভ। গোটেই কেইটা গৈ ষ্টেজৰ ওচৰ পাইছিলগৈ। প্ৰথম বাৰৰ বাবে Techxetra ত বিহু। সঁচাকৈ ভাল জমিছিল। সন্ধ্যাহঁত গোটেই বোৰ একেলগেই আছিল। তিৱা গীতত অভিমন্যু, প্ৰিয়ানুজ আৰু পখীৰ যি নাচ। অনুৰণ মাজতে "আহি আছোঁ" বুলি যাবলৈ লৈছিল। সন্ধ্যাই আগবাঢ়ি গৈ সুধিলে,

"ক'লৈ যোৱা।"

"লগৰ কেইটাই মাতিছে।"

"জানোতো কিয় মাতিছে। খাবলৈ যোৱা চাগে।"

অনুৰণে একো নকৈ তলমূৰ কৰিলে। সন্ধ্যা উভতি আহিল। অভিমন্যুহঁতৰ ওচৰ পাই দেখে পিছে পিছে অনুৰণো গুছি আহিল। তাইৰ ওচৰ চাপি ক'লে,

"নগ'লো। হ'লতো?"

হাঁহিৰ মিচিকণি জিলিকিছিল সন্ধ্যাৰ ওঁঠত। খুব সুন্দৰ হৈছিল প্ৰগ্ৰাম। তিৱাৰ "লাই লাহি হিলালি" ৰ পৰা বড়োৰ "বাগৰুম্বা" লৈকে একো বাদ পৰা নাই। অসমৰ বাহিৰৰ পৰা অহা লোকসকলেও চাই আমোদ পাইছিল অসমৰ বাবে ৰহণীয়া কৃষ্টি। সকলোৱে

ভবাৰ দৰেই ৰাতি প্ৰায় দুইমান বজালৈকে চলিছিল প্ৰগ্ৰেম। সকলোৰে মুখত এটাই কথা, "কাইলৈ ৰঘূ দীক্ষিতৰ প্ৰগ্ৰেমতো ৰাতিপুৱালৈকে হ'ব। পূৰা নাচিম।"

প্ৰগ্ৰেম চলি থকাৰ মাজতে এবাৰ সন্ধ্যাই অভিমন্যুক ক'লে,

"এবাৰ হোষ্টেলৰ পৰা আহোঁ ব'লচোন।"

আচলতে বেচেৰী বাথৰুম যাব। কিন্তু সকলোৰে আগত কয় নো কেনেকৈ। পিছে অভিমন্যুয়ে একে আষাৰে ক'লে,

"একদম নোৱাৰোঁ দেই প্ৰগ্ৰেম এৰি যাব। তাতে বিহু চলি আছে।"

"হাৰে, আহিম গৈতো আকৌ।"

"চৰী, নোৱাৰোঁ মই।"

"ফটোৱামি কিয় কৰ? ইমান অচিনাকি মানুহ আছে এইবাৰ। সেই কাৰণেহে কিবা ভাল লগা নাই যাবলৈ অকলে।"

সন্ধ্যাৰ কথা মিছাও নহয়। আগৰ কেইবাৰৰ তুলনাত এইবাৰ যেন বাহিৰৰ মানুহৰ সংখ্যা সৰহ। আগৰ কেইবাৰো বাহিৰৰ পৰা মানুহ আহে। অকল অসমৰে নহয় ভাৰতৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা ছাত্ৰ ছাত্ৰী আহি Techxetraত ভাগ লয়। কিন্তু এইবাৰ যেন জোখতকৈ বেছি। চবফালেই যেন অচিনাকি মুখ। তাৰ মাজত সন্ধ্যাৰ অকলে হোষ্টেল যাবলৈ কিবা যেন আচহুৱা লাগিছে। সেইবাবেই অভিমন্যুক লগ ধৰিছিল। কিন্তু ই মানে চবতে ওলোটা কথা ক'বই। সন্ধ্যাই আকৌ এবাৰ কৈ চালে,

"প্লিজ অভি, ব'ল না।"

অভিমন্যুয়ে অলপ আঁতৰত থকা অনুৰণক ক'লে,

"ঐ অনুৰণ, এই সন্ধ্যা হোষ্টেল যায় হেনো। লৈ যোৱা না। মোক কামোৰ দি আছে।"

"ব'লা।" সন্ধ্যাৰ ওচৰলৈ আহি অনুৰণে কৈছিল। হয়তো প্ৰথমবাৰৰ বাবে অভিমন্যুয়ে কিবা কথাত "না" বুলি কোৱাৰ পাছতো খং উঠা নাছিল সন্ধ্যাৰ। বৰঞ্চ হাঁহি অকণহে লাগি ৰৈছিল ওঁঠৰ চুকটোত।

"চাই ল'ম ৰহ তোক।" বুলি অভিমন্যুলৈ কৃত্ৰিম খং দেখুৱাই সন্ধ্যা অনুৰণৰ লগত আগবাঢ়িছিল সোৱণশিৰীৰ ফালে। সিহঁত যোৱাৰ লগে লগে ওচৰতে থকা ময়ূঁৰে

Kaushik

অভিমন্যুলৈ চাই হাঁহিছিল। অভিমন্যুয়েও দুষ্টালিৰ হাঁহি মাৰি চকু এটা টিপিয়াই দিলে তালৈ।

আহিন মাহৰ কুঁৱলীৰ আস্বাদনে ইউনিভাৰ্চিটিক আৱৰিছিল। বাট কেইটাত যেন কোনোবাই ধোঁৱা হে উৰুৱাইছে। নিয়ৰৰ টোপালবোৰে কাঞ্চনৰ পাতবোৰত চুমা আঁকিছিল। ফিল্ডৰ বিহুৰ মাত ৰিণি ৰিণিকৈ ভাঁহি আহিছে। মুখেৰে একো নমতাকৈ গৈ আছিল অনুৰণ। সন্ধ্যায়েই সুধিলে,

"খং উঠি আছে নেকি মোৰ ওপৰত?"

"কিয়?"

"যাব নালাগে বুলি কৈছিলোঁ যে অথনি।"

সামান্য হাঁহি অনুৰণে ক'লে,

"নাই হেই। নাই উঠা।"

"এটা কথা সোধো ৰণ?" সন্ধ্যাই ক'লে।

"সোধা আকৌ।"

"অথনি তুমিতো গুচিও যাব পাৰিলা হয়, কিয় নগ'লা?"

সন্ধ্যাৰ প্ৰশ্নত কেই মূহুৰ্তমান তাইলৈ চাইছিল অনুৰণে। তাৰ পাছত তাৰ শান্ত মাতটোৰে ক'লে,

"তুমি বেয়া পাবা যে, সেই কাৰণে।"

বুকুখনত যেন সেই সেউজীয়া বিষটোৱে আকৌ উক দিছিল সন্ধ্যাৰ। সকলো আছে, তেও যেন কিবা এটা আধৰুৱা। তাই কিবা ক'ব লওঁতেই হঠাৎ খুব জোৰকৈ শব্দ কৰি ব'ম এটা ফুটিল essentialৰ ওচৰত। সিহঁত আহি থাকোতেই কেইটামান চেঙেলীয়া ল'ৰা তাত বৈ থকা দেখি আহিছিল। সিহঁতৰ হাৱ ভাৱতে গম পোৱা যায় যে ইউনিভাৰ্চিটিৰ ল'ৰা নহয়। কিন্তু সিহঁতে ব'ম ফুটাব বুলি ভবা নাছিল। সঁচাই যেন কিবা অৰাজকতা চলাৰ দৰে হৈছে এইবাৰ Techxetraত। যাৰ যি মন যায় তাকেই কৰি আছে। কথাত মচগুল হৈ আছিল সন্ধ্যা আৰু অনুৰণ সোৱণশিৰীৰ আগৰ সেই

Kaushik

আন্ধাৰ ঠাইখিনিত। ওচৰে পাজৰে মানুহো ইমান নাই। দীঘল ৰাস্তাটো কুঁৱলীয়ে আৱৰি থকাৰ বাবে কেনিও একো মণিবও নোৱাৰি। তাৰ মাজতেই হঠাৎ ব'মৰ শব্দটো,

"ধ---ম"

নিজান ঠাইখিনিত হঠাৎ হোৱা শব্দটো একেবাৰেই অপ্ৰত্যাশিত আছিল। ভয় খাই সন্ধ্যাই অনুৰণ আঁকোৱালি ধৰিলে। ধৰোঁ নধৰোঁকৈ অনুৰণেও আলফুলে সাৱটি ধৰিছিল তাইক। কিবা এটা অজানা আৱেগত চকু জপাই দিছিল সন্ধ্যাই। তাইৰ কাণত বাজি উঠিছিল অনুৰণৰ বুকুৰ ঢপঢপনি। উশাহ ঘন হৈছিল সন্ধ্যাৰ। স্পন্দন বাঢ়িছিল অনুৰণৰ। পৃথিৱীৰ আটাইতকৈ যেন নিৰাপদ ঠাই ডোখৰত যেন আছে তাই, এনে অনুভৱ হৈছে সন্ধ্যাৰ। বুকুত সন্ধ্যাক সাৱটি লৈ চকু হাল মুদি দিছিল অনুৰণেও। চেঁচা কুঁৱলীৰ শুকুলা চাদৰখনে যেন চেনেহেৰে মেৰিয়াইছিল সিহঁতক। আকাশত জোনটোও যেন লাজতে মেঘৰ আঁৰত লুকাইছে। কোনোবা নিশাচৰ চৰাই এটাই কুৰুক কুৰুক শব্দ কৰি উৰি গৈছিল। জিলিবোৰৰ শব্দটো যেন সন্ধ্যাহঁতৰ কাণত অনামী সুৰ হৈ বাজিছিল। কাষৰ কাঞ্চন জোপাত যেন বতাহে কোবাই দুই এটি পাত সৰাইছিল। ফিল্ডৰ পৰা ভাঁহি আহিছিল জুবিন দাৰ বিহুৰ কলি এটা,

"জানমণি ডালত পৰি কপৌযুৰি কিনো কথা পাতে,

দেখি মোৰ এনে লাগে তুমিও যেন থাকিবা মোৰ সতে,

চাটি ফুটি কৰে উতলা মন কঁপে কোমল বুকু,

তোমাৰ অবিহনে সোণ ঐ কেনেকৈ মই থাকোঁ,

জান ঐ জান ঐ,

জা---ন ঐ........"

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 90

"কিয় ইমান ভয় হা? আছোঁতো মই।"

অনুৰণৰ কথাত সন্ধ্যাই চকু মেলিলে। ওলাই আহিছিল তাৰ বুকুৰ পৰা। এক বুজাব নোৱাৰা অনুভৱত যেন ডুব গৈ আছে সন্ধ্যা। এজনী ছোৱালীৰ বাবে প্ৰিয় পুৰুষজনৰ বাহুৰ মাজৰ ঠাইটুকুৰা, তেওঁৰ বুকুৰ সেই ধপধপ শব্দটো কি আজিহে সন্ধ্যাই অনুভৱ কৰিছে, বুজিছে। তাইৰ শৰীৰত লাগি ৰোৱা অনুৰণৰ আলফুল পৰশটোৱে কৈছিল তাইক স্পৰ্শৰ মাজতো ভালপোৱা থাকে। একো ক'ব পৰা নাছিল সন্ধ্যাই। বুকুতে যেন জীপাল হৈছিল এখন অন্য পৃথিৱী। চকুৰ মিচিকনিত প্ৰকাশ পাইছিল হৃদয়ৰ অস্ফুট ভাষা।

"যোৱা ভিতৰলৈ। মই ৰৈ আছোঁ।"

অনুৰণে ক'লে। চাওঁ নাচাওঁকৈ সন্ধ্যাই এবাৰ অনুৰণৰ চকুলৈ চালে। তাৰো একেই অনুভৱ হৈছিল নে বাৰু! হয় চাগে, হয়তো নহয়। সেয়া জনাৰো উপায় নাই। থাকক জানিবও নোখোজে তাই। অনুৰণৰ প্ৰতি তাইৰ নিজৰ ভালপোৱাবোৰেই যথেষ্ট। প্ৰতিদান নালাগে তাইক। এই যে নীৰৱে ভাল পাই যাব পৰাকৈ তাই নিজক সাজু কৰিছে, এয়াও জানো কম কথা! এখোজ দুখোজকৈ ভিতৰ পালেগৈ সন্ধ্যা। বাথৰুমৰ আইনাত খনত নিজৰ মুখখন চকু পৰাত আপোনা আপুনি হাঁহি এটা বিয়পি পৰিল আকৌ। এইয়া যেন সমুখত তাই নহয়, অন্য কোনোবাহে। অনুৰণৰ উমাল বাহুৰ পৰশে যেন সন্ধ্যাক সলনি কৰি পেলাইছিল। লগতে খঙো উঠিছিল নিজলৈ। কিয় যে প্ৰথমতেই বুজি পোৱা নাছিল তাই নিজক! অভিমন্যুৰ লগত সেই খেলিমেলিবোৰ নোহোৱা হ'লে হয়তো আজি অনুৰণ প্ৰতীক্ষা নহৈ প্ৰাপ্তি হ'লহেঁতেন। তথাপিও থাকক। জীৱনটোক লৈ আক্ষেপ কৰাতকৈ জীৱনটোক উদযাপন কৰাহে উত্তম। আৰু সন্ধ্যাৰ জীৱনততো এতিয়া অনুৰণ নামৰ ফাগুণ।

"ব'লা।"

অলপ সময়ৰ পাছত তললৈ নামি আহি সন্ধ্যাই ক'লে। সিহঁত দুইটা আহি ফিল্ডত অভিমন্যুহঁতৰ ওচৰ পালেহি। প্ৰগ্ৰেম চলিয়ে আছিল তেতিয়াও। অভিমন্যুয়ে সন্ধ্যাৰ কাষ চাপি সুধিলে,

"আহিলি?"

"দেখা নাই জানো?" তাৰ ফালে নোচোৱাকৈ সন্ধ্যাই ক'লে।

Kaushik

"দেখাতেতো বহুত কিবা কিবি দেখিছোঁ।" অভিমন্যুৰ চকুত তাৰ বিখ্যাত দুষ্টালিৰ হাঁহি। সন্ধ্যাই সুধিলে,

"কি দেখিলি?"

"একো নাই। হেৰি, আকৌ হোষ্টেল যাব মন গ'লে ক'বি। মই অনুৰণক কৈ দিম।"

সন্ধ্যাই তালৈ চাইছিল। মুখ টিপি হাঁহি থকা অভিমন্যুক দেখি ওলাব খোজা হাঁহিটো জোৰকৈ সামৰি সন্ধ্যাই ক'লে,

"বেছি হৈছে দেই অলপ।"

অভিমন্যু হাঁহি মাৰি আঁতৰি গ'ল। এটা বিহুৰে প্ৰগ্ৰাম শেষ হৈছিল। হেঁপাহ পলুৱাই নাচিলে সকলোৱে। বাহিৰৰ সকলোকে যেন দেখুৱাইহে দিছিল, এইয়াই আমাৰ অসম। এইয়াই আমাৰ সংস্কৃতি।

Kaushik

প্ৰগ্ৰাম শেষ হোৱাৰ পাছত পাটকাইৰ ছাদত আজি শেষ নিশাৰ মেহফিল। নহ'বনো কিয়, কত দিনৰ মূৰত আজি পুৰণা মানুহকেইটা আহিছে। বিশেষকৈ দেৱা দা। ৰক্তিমেতো অহাৰ পৰা দেৱা দাক ইটোৰ পিছত সিটো কম্প্লেইন দিয়ে আছে,

"দেৱা দা, খানা একদম শেষ হুইছে পাটকাইৰ।"

"দেৱা দা, ভাৰ্চিটী উইকত মানুহ নলগা জানে আগৰ নিচিনা।"

আৰু যে কত কি! দেৱাশীষে গোটেই হোষ্টেলখন ইমূৰৰ পৰা সিমূৰলৈ ঘূৰিছিল। এইখনৰ মাজতেই ডাঙৰ হ'ল সি। এতিয়াও যেন কৰিডৰবোৰত খোজ কাঢ়িলে আগৰ সেই চিঞৰবোৰৰ প্ৰতিধ্বনি শুনা যায়। কত যে কাহিনীৰ এই দেৱালবোৰেই সাক্ষী হৈ থাকি গ'ল।

সেই দেৱাশীষৰে চাকৰি হোৱাৰ পাৰ্টি আজি। প্ৰগ্ৰাম শেষ হোৱাৰ পাছতো এই দুটা বজাত আৰম্ভ হৈছে সিহঁতৰ মেহফিল। অনুৰণ অভিমন্যু বিদ্যুৎ কোনো বাকী নাই পুৰণা মানুহ। ৰঙীন বটলৰ নিচাই যেন সিহঁতক দুবছৰ আগলৈ টানি নিছিল। আজিকালি সময় সাপেক্ষে অভিমন্যুয়েও এইবিধ গলাধঃকৰণ কৰে। পিছে আনৰ দৰে দিনে ৰাতিয়ে হোৱাই নোহোৱাই ডিঙি তিয়াই থকা মদাহী সিহঁত নহয়। কিন্তু মাজে সময়ে নিচাৰ সোৱাদ সিহঁতেও লয়। এখন অন্য পৃথিৱীৰ বাসিন্দা হ'বলৈ।

অভিমন্যুৰ ৰুমমেট প্ৰিয়ানুজ আকৌ দেৱাশীষৰ পুৰণা চিনাকি। অভিমন্যুয়ে প্ৰিয়ানুজৰ লগতে তৌফিক আৰু দীপককো মাতি আনিলে। প্ৰিয়ানুজহঁতৰ অৱশ্যে এইবিধ নচলে। তথাপি মেহফিলত দীপকৰ জমনি আৰু তৌফিকৰ ভূতৰ কাহিনী নহ'লে হ'ব নে! সিহঁত কেইটাও সোমৰসকণ নধৰিলেও আহি মেহফিল ভৰাই আছেহি। কথাৰ মাজতে তৌফিকক অভিমন্যুয়ে সুধিলে,

"কওঁক তৌফিক দা, আজি ডেট কেনেকুৱা গ'ল?"

তৌফিকৰ হৈ উত্তৰটো দীপকেই দিলে,

"ক'তনো ডেট? এখেত দুই মিনিটৰ পিছতে গুছিয়েই আহিল।"

"কিয় বা?" অভিমন্যু আচৰিত হ'ল।

"নাই, তাইৰ বোলে কিবা কাম আছিল।"

তৌফিকে সেমেনা সেমেনিকৈ কোৱা দেখি প্ৰিয়ানুজে সন্দেহ কৰিলে,

"মিছা কথা, তুমি কিবা কামোৰ দিলা চাগে।"

"নাই নাই, মই ভালকৈয়ে কথা পাতিছিলোঁ।"

"কি কথা পাতিছিলিনো?" দেৱাশীষে সুধিলে। সি চিনাকি অচিনাকি চবকে তই বুলিয়ে মাতে।

"মানে এনেই অলপ ইন্টাৰেষ্টিং কৰিবলে মই ভূতৰ কাহিনী এটাকে কৈছিলোঁ।"

তৌফিকৰ উত্তৰত তাত থকা গোটেই কেইটাই একেলগে চিঞৰি উঠিল,

"কি???"

তাৰ লগে লগেই হাঁহিত ফাটি পৰিল গোটেই কেইটা।

"হে ঈশ্বৰ, ইমানতে মাৰি নিয়া মোক।"

দীপকে হাত যোৰ কৰি ওপৰলে চাই ক'লে।

"Techxetra ত নতুনকৈ চিনাকি হোৱা ছোৱালীক কোনে ভূতৰ কাহিনী কয় বে?"

দেৱাশীষে ধমকি মাৰিলে।

Kaushik

"বাবা, তুমি বাদ দিয়া আৰু ছোৱালী।" হাঁহি হাঁহিয়ে প্ৰিয়ানুজে ক'লে।

তেনেদৰেই আড্ডা জমি উঠিছিল সিহঁতৰ। মাজতে চবৰে অনুৰোধত প্ৰিয়ানুজে গানো গালে। অথনিৰে পৰা মনে মনে থকা অনুৰণে গীটাৰ এখন আনি বজাবলৈ লৈছিল। প্ৰিয়ানুজে গাই গৈছিল,

"এন্ধাৰ হ'ব নোৱাৰোঁ

মচি দিব নোখোজো

পাখি মেলা অতীতক

কিদৰে পাহৰোঁ...."

এই ছাদত মাজৰাতি, ওপৰত তৰা ভৰা ফৰকাল আকাশ, ৰঙীন বটলৰ নিচা, হোষ্টেলৰ লগৰ কেইটা আৰু জুবিন দাৰ গান। উফ, জীৱনটো যেন ইয়াতেই সুন্দৰ।

অলপ সময়ৰ পাছত প্ৰিয়ানুজে প্ৰস্তাৱ দিলে,

"বচ, হৈ গ'ল দেই আজিলে। চব ৰুমত এতিয়া। কাইলৈ আকৌ ৰঘু দীক্ষিতৰ প্ৰগ্ৰামত নাচিবলৈ আছেই।"

ঢলং পলং খোজেৰে নামি আহিছিল চব। প্ৰিয়ানুজৰ গাত ভেঁজা দি অভিমন্যুও ৰুম পাইছিলহি। মাত্ৰ অকলে ৰৈ গৈছিল অনুৰণ। চব যোৱাৰ পাছত ফোন লগাইছিল সি।

"কোৱা, ফোন কৰিম বুলি ইমান দেৰি যে?"

ফোনটো কাণত লৈ ৰুমৰ পৰা কৰিডৰলৈ ওলাই আহি সন্ধ্যাই ক'লে। অথনি চব ৰুমলৈ অহাৰ পাছতে তাই মেচেজ দিছিল তালৈ,

"Ki korisa?"

অনুৰণে উত্তৰ দিছিল লগে লগে,

"Saad t asu, deba dai party dise"

"Kotha patibo nuariba?"

"Olop pasot phone korim hobo?"

"Thik ase, moi roi thakim"

Kaushik

তেতিয়াৰ পৰা সন্ধ্যা ৰৈ আছিল। অৱশ্যে বহু দেৰি লৈকে বিদিশা আৰু ৰীণাহঁতেও ৰুমত আড্ডা মাৰি আছিল। কিন্তু সিহঁত যোৱাৰ পাছতো সন্ধ্যা ৰৈ আছিল। বাৰে বাৰে মোবাইলটোলৈ চাইছিল। কিজানি অনুৰণে ফোন কৰিছে। অৱশেষত এতিয়া কৰিলে সি। সন্ধ্যাৰ প্ৰশ্নত অনুৰণে ক'লে,

"ইহঁত গৈছে হে এতিয়া।"

"বেছি খালা নেকি?"

"নাই, অলপ।"

"ভাল ল'ৰা।"

"কি কৰিছা?"

"খোজ কাঢ়ি ফুৰিছোঁ কৰিডৰত। ৰুমত বিদিশা বা আৰু পথী শুই আছে।"

"আগফালে ওলাই আহা না, মই যাওঁ।"

সন্ধ্যাৰ বুকুখন ধপধপাইছিল অনুৰণৰ কথাত। এই পুৱতি নিশা কিয় আহে বাৰু সি? তাই ক'লে,

"নালাগে দেই। এতিয়া বাহিৰ গ'লে গালি দিব মাহীহঁতে।"

"ওপৰৰ কৰিডৰলৈকে আহিবা। গৈ আছোঁ মই।"

কথাটো কৈয়ে অনুৰণ নামি আহিল। চাইকেলখন উলিয়াই সোৱণশিৰীৰ ফালে পোনালে।

"ৰণ, সঁচাই আহিছা তুমি?"

ফোন কটাই নাছিল সন্ধ্যাই।

"অঁ, পালোঁহিয়েই।"

ওপৰৰ কৰিডৰৰ পৰা সন্ধ্যাই দেখিছিল চাইকেল এখন আহি কাঞ্চন জোপাৰ কাষতে ৰৈ গৈছেহি। কোনোবা এজনে তাইলৈ চাই হাত জোকাৰিছে। সন্ধ্যা তললৈ নামি গ'ল। গেটৰ ওচৰলৈ নগ'লেও বাৰাণ্ডাতে ৰৈছিল।

"যোৱাগৈ অ'। ঠাণ্ডা বাহিৰত কিয়নো আহিব লাগে?"

ফোনতে কৈছিল সন্ধ্যাই। সামান্য হাঁহি অনুৰণে ক'লে,

kaushik

"এনেই মন গ'ল।"

সন্ধ্যাই ভিতৰৰ পৰাই হাত জোকাৰিলে। অনুৰণে হাঁহি মাৰি চাইকেলখন ঘূৰালে। ফোনত কথা পাতি পাতিয়েই ৰুম পালেগৈ সি।

"শুই যোৱা এতিয়া। কাইলৈ লগ পাম। গুড নাইট।" সন্ধ্যাই কৈছিল।

"গুড নাইট।" বুলি ফোনটো কাটি দিলে অনুৰণে।

কিয় জানো চকুযোৰ ভৰি আহিছিল সন্ধ্যাৰ। এই যে অনুভৱটো, একো নোহোৱাকৈও কিবা এটা হৈ থকা, একো নোকোৱাকৈও কিবা এটা কৈ থকা সঁচাই ইয়াৰো এক অনন্য মাদকতা আছে। পৰম প্ৰশান্তিত চকুহাল মুদি দিলে তাই।

পিছদিনা সন্ধিয়াৰ লগে লগেই গোটেই ইউনিভাৰ্চিটীৰ পৰিৱেশেই যেন বেলেগ হৈ উঠিল। সদায় চিনাকি শান্ত চহৰখন যেন আজি নানান অচিনা কোলাহলত কঁপি উঠিছে। সেউজীয়া আৰু কাঞ্চনৰ গোলপীয়া ৰংবোৰৰ সলনি চোন ইয়াত চৌপাশে বাৰে বৰণীয়া ৰং। সকলোৰে লগত ওলাই আহি এবাৰ ফিল্ডৰ সোঁমাজতে ৰৈ চাৰিওফালে চাইছে সন্ধ্যাই। যোৱা দুবছৰত এই পৰিৱেশ দেখা মনত নপৰে তাইৰ। কালিতকৈও আজি যেন আৰু একোব চৰা। কাৰোৰে খোজৰ যেন হুঁচেই নাই। নিচাত সদায় বলা শান্ত বতাহজাকো আজি যে কিবা ভয়ংকৰ ভাৱে বলিছে। যেন কিবা ধুমুহা অহাৰহে আগজাননী। হয়, আগতেও Techxetraত এক উৎসৱমুখৰ পৰিৱেশৰ সূচনা হয়। কি ল'ৰা কি ছোৱালী সকলো একেলগে ওলাই আহে। প্ৰিয়জনৰ হাতত হাত ধৰি বিনাদ্বিধাই ওলাই যায় সকলো। কিন্তু আজি চোন কিবা অস্বস্তিৰ দৰে লাগিছে। চৌপাশৰ মানুহবোৰ আৰু তেওঁলোকৰ ভাৱ ভংগী যেন কিবা বৰ দৃষ্টিকটু হৈ পৰিছে। তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতিতো এনেকুৱা নাছিল। সন্ধ্যাহঁতে মন কৰিছে, বহু কেইজন প্ৰফেচৰ ফিল্ডত এপাক ঘূৰিয়ে নিজৰ গাড়ীলৈ উভতিছে। হয়তো চৌপাশৰ ৰেহ ৰূপ দেখি নিজৰ পৰিয়ালৰ লগত অনুষ্ঠান চাবলৈও অস্বস্তি হৈছে। যাৰে তাৰে মুখত অশ্লীল মাত, অশ্ৰাব্য শব্দ আৰু বতাহত ভাঁহি অহা বিশেষ গোন্ধটোৰ এই পৰিৱেশৰ মাজত নিজৰ শিশু সন্তানক যেন ৰাখিবলৈ বিচৰা নাই তেওঁলোকে।

সদায় ইউনিভাৰ্চিটীৰ কঠোৰ নিয়মক লৈ অভিযোগ কৰা পথীয়েও চাৰিওফালৰ অৱস্থা দেখি কৈ উঠিছে,

Kaushik

"এইখন TU য়েই নে?"

হয়, এইখন TU য়েই। সদায় দেখা TU খনৰেই আজি এই কিম্ভূত কিমাকাৰ ৰূপ।

"হাম শ্বৰীফ ক্যা হুৱে, পুৰী TU হি বদমাছ হ' গয়ী।"

দেৱাশীষৰ ডাইলগত হাঁহি উঠিছিল অভিমন্যুহঁত গোটেই কেইটাৰ। কথাৰ মাজতেই ষ্টেজত আৰম্ভ হৈছিল প্ৰগ্ৰাম। ষ্টেজৰ কাষত ভিৰ কৰিছিলগৈ সকলোৱে। এইবাৰ যেন বাহিৰৰ মানুহৰ উপদ্ৰৱত চিনাকি মুখবোৰ হেৰাই গৈছিল। ৰঘূ দীক্ষিতৰ গানৰ তালে তালে সকলোৱে আৰম্ভ কৰিছিল নৃত্য। অভিমন্যুহঁতেও নাচিছিল। কিন্তু তাৰ মাজতে কিছুমান উদ্দাম নৃত্যই আচৰিত কৰিছিল সিহঁতক।

"ইহঁতে নাচিছেই নে এইয়া?"

সন্ধ্যাই কৈ পেলাইছিল এবাৰ। নাচৰ মাজতে কোনোবা এটা বাহিৰৰ ল'ৰা আহি সন্ধ্যাৰ গাতে পৰিবলৈ লৈছিলহি। গাত হুঁচেই নাই তাৰ। খোজো লৰক ফৰক। অভিমন্যুয়ে ডিঙিত ধৰি গতা মাৰি পঠাইছিল তাক। তাৰ পাছতেই সিহঁত গোটেই ল'ৰা কেইটাই ছোৱালী কেইজনীক ঘেৰি আছিল। ৰঘূ দীক্ষিতে নিজৰ জনপ্ৰিয় গীতটি গাইছিল,

"Lokada kaalaji madatheenanti

Ningyaar byaadantaara maadappa chinti....."

দাক্ষিণাত্যৰ সংগীত। অৰ্থ বুজি পোৱা নাছিল যদিও মিউজিকতেই নাচিছিল সকলোৱে। নাচি বাগি এটা সময়ত প্ৰগ্ৰাম শেষ। মানুহবোৰ যেন তেতিয়াও যাব খোজা নাই। প্ৰিয়ানুজে সন্ধ্যাহঁতক হোষ্টেল যাবলৈ কৈছিল সোনকালে। ইতিমধ্যে দেৰি হৈছেই। অভিমন্যু আৰু অনুৰণে আগবঢ়াই দিলেগৈ ছোৱালী কেইজনীক।

হোষ্টেল পাই এইবাৰৰ Techxetra ৰ পৰিৱেশৰ কথাই পাতি আছিল সন্ধ্যাহঁতে। বিদিশা আৰু ৰীণাহঁত কাইলৈয়ে যাবগৈ। গতিকে আজি সোনকালে শোৱাৰ প্ৰশ্নই নুঠে। পথীয়ে গেট পাৰ হৈ অহাৰ কাহিনীটো কৈ কৈ হাঁহি আছিল সিহঁত কেইজনীয়ে। তাৰ মাজতেই হঠাৎ আহিছিল সেই ভয়ংকৰ খবৰটো।

Kaushik

হয়, পাটকাইৰ পৰা সোৱণশিৰীলৈকে, কাঞ্চনজংঘাৰ পৰা পবিতৰালৈকে, চৰাইদেউৰ পৰা ধনশিৰীলৈকে নাইবা নীলাচলৰ পৰা প্ৰাগজ্যোতিকালৈকে জোকাৰি গৈছিল এটা ভয়ংকৰ গা শিয়ৰি যোৱা খবৰে। খবৰটো হ'ল,

"গৃহৰক্ষী জোৱানে ধৰ্ষণ কৰিছে এজনী ছাত্ৰীক।"

কঁপি উঠিছিল সকলো। বয়জ হোষ্টেলবোৰৰ কমন ৰুমত চিঞৰ বাঢ়ি আহিছিল। গাৰ্লছ হোষ্টেলৰ ৰুমত চলিছিল গুণগুণনি। কোনো কোনোৱে বিশ্বাস কৰা নাছিল,

"পাগল হৈছ নি? হোম গাৰ্ডে কি ষ্টুডেন্টৰ লগত সেইবোৰ কৰিব? তাকো কেম্পাছৰ ভিতৰত?"

কোনো কোনোৱে কথাটো বিশ্বাস কৰি জ্বলি উঠিছিল,

"এতিয়াও বহি থাকিম নে আমি? নে দুদিন পিছত জাষ্টিছ বিচাৰি মম জ্বলাম গৈ?"

মুঠতে লাহে লাহে উতপ্ত হৈ উঠিছিল হোষ্টেলবোৰ। ইখনৰ পৰা সিখনলৈ ফোনেৰে যোগাযোগ চলিছিল। খবৰ আহিছিল যে ধৰ্ষণ কৰা জোৱানটোক হেনো পলুৱাবলৈ চেষ্টা কৰা হৈছে। আৰু শেষত সকলোৱে কোনেও সপোনতো ভাবিব নোৱাৰা কাম এটা কৰি পেলালে। বয়জ আৰু গাৰ্লছ হোষ্টেল মিলি প্ৰায় দহখন হোষ্টেলৰ ল'ৰা ছোৱালী একেলগে ওলাই আহিল মেইন গেটলৈ। কি নীলাচল কি পাটকাই, কি ধনশিৰী কি সোৱণশিৰী কোনো বাকী নাই। মুঠতে ইউনিভাৰ্চিটীৰ ছোৱালীৰ লগত এইচব কৰি কোনো সাৰি যাব নোৱাৰে। তাতে দুদিন আগত সেই ধৰ্ষণৰ ঘটনা হৈ গৈছেহে। সকলোৰে তেজ উতলি আছিল। তাৰ মাজতেই আজি এইয়া। পিছে ওলাই অহা কাৰোৰে ওচৰত নাছিল প্ৰকৃত একো তথ্য। কোনজনী ছোৱালীৰ লগতনো এইবোৰ হৈছে, ক'তনো হৈছে, কোনেনো ক'লে এইবোৰৰ একো উত্তৰ নাই। মাত্ৰ এটাই কথা,

"মেচেজ পাইছোঁ, ওলাই আহিছোঁ।"

সন্ধ্যা, প্ৰিয়া, পখীহঁতৰ লগতে বিদিশাহঁতো ওলাই আহিল। পাটকাইৰ অনুৰণ, বিশ্বজিৎ, প্ৰিয়ানুজ, দেৱাশীষ কোনো বাকী নাই। নীলাচলৰ ৰাজদ্বীপহঁতকো ফোন কৰি মাতি আনিলে বিশ্বজিতহঁতে। হোষ্টেলত শুবলৈ লোৱাবোৰকো জগাই মেলি যিয়ে যেনেকৈ পাৰে লৈ আনিছে। বহুতেতো কি হৈছে ঘটনাটো গম নোপোৱাকৈ দৌৰিছে। মুঠতে মেইন গেট যাব লাগে, জেং হৈছে।

শুই থকা ময়ূঁৰক জগালে অভিমন্যুয়ে। কথাখিনি কৈ লগ ধৰিলে তাক।

Kaushik

"মই নাযাওঁ।" একে আষাৰে ক'লে সি।

অভিমন্যুয়ে খঙত চিঞৰি উঠিল,

"কিয়? সিদিনা চোন খুব কৈছিল, এজন ধৰ্ষণকাৰীক জীয়াই জ্বলাবি। এতিয়া কি হ'ল?"

ময়ূঁৰে একেই শান্ত হৈ ক'লে,

"ধৰ্ষণকাৰীক জ্বলাম কৈছিলোঁ, নিৰীহ মানুহক নহয়।"

"তাৰমানে তই ইয়াত শুই শুইয়ে গম পালি সি নিৰীহ বুলি?"

অভিমন্যুৰ কথাত এইবাৰ শোৱাৰ পৰা উঠিল ময়ূঁৰ,

"এইখন ইউনিভাৰ্চিটী। আৰু সেই মানুহজন পুলিচ। ইউনিভাৰ্চিটী কেম্পাছৰ ভিতৰত ইউনিভাৰ্চিটীৰ ছোৱালীক ৰেপ কৰিবলৈ কোনো ইমান মুৰ্খ নহয়। তাকো পুলিচে। তইয়ে ক, কোন ছোৱালীৰ ৰেপ হৈছে? হোষ্টেল কি? ঠিক আছে, এড্ৰেছ নালাগে। কিন্তু কোনে দিলে ৰেপ হোৱাৰ খবৰ? উত্তৰ আছে?"

নাই, উত্তৰ অভিমন্যুৰ হাততো নাছিল। খবৰটো কোনে কেনেকৈ উলিয়ালে কোনেও নাজানে, মাত্ৰ চব দৌৰিছে। ময়ূঁৰক একো নকৈ অভিমন্যুও ওলাই আহিল সকলোৰে লগত।

এজন দুজনকৈ আহি আহি প্ৰায় এহেজাৰৰো অধিক শিক্ষাৰ্থীয়ে ভৰি পৰিছিল মেইন গেট। অলপ আগলৈকে ৰঘূ দীক্ষিতৰ গীতত ফুৰ্তিত ক'ব নোৱাৰা হৈ থকা মানুহবোৰৰ মনবোৰ যেন ক্ষোভত ফাটি পৰিছে। উত্তেজিত ছাত্ৰ ছাত্ৰীয়ে বন্ধ কৰি দিলে ইউনিভাৰ্চিটীৰ মেইন গেট। চিঞৰ বাখৰত কেনিও কাৰো মাত নুশুনি। হোম গাৰ্ডসকলো যেন ব্যৰ্থ হৈছিল পৰিস্থিতি নিয়ন্ত্ৰণত। সকলোৰে লগতে সন্ধ্যাহঁতেও চিঞৰিছিল,

"উই ৱান্ট জাষ্টিছ।"

তাৰ মাজতেই লাহে লাহে এটা খবৰ ওলাল সকলোৰে মাজত যে সকলোৱে শুনাৰ দৰে কোনো ধৰ্ষণ হোৱা নাই। মাত্ৰ জোৱানজনে ছোৱালীজনীৰ গাত হাত দিছিল হেনো। অভিমন্যুৰ তেতিয়াহে মনত পৰিছিল ময়ূঁৰৰ কথালৈ।

Kaushik

"ৰেপ নহ'ল বাৰু মানিছোঁ, কিন্তু গাত হাত দিব কিয়? আজি হাত দিছে কাইলৈ ৰেপ কৰিব। নহ'ব উই ৱাণ্ট জাষ্টিছ।"

কোনোবা এটাই কথাখিনি চিঞৰি চিঞৰি কোৱাৰ লগে লগে আকৌ আৰম্ভ হ'ল সকলোৰে চিঞৰ। তাৰ মাজতে এবাৰ ৰঘু দীক্ষিতৰ গাড়ীখন যাবলৈ আহিল। সকলোৱে হাতত হাত ধৰি মানৱ শৃংখল তৈয়াৰ কৰি তেওঁক যাবলৈ দিলে। তাৰ পাছতে আকৌ প্ৰতিবাদ। ষ্টুডেন্ট কাউন্সিলৰ প্ৰেচিডেন্ট, জি এচ এটাইও ৰখাব পৰা নাই ছাত্ৰ ছাত্ৰী সকলৰ কন্ঠক। দুই এজনে তাতেই অধিক উল্লাসিত হৈ আৰম্ভ কৰিলে ফেচবুক লাইভ। লগে লগেই অসমৰ লগতেই দেশৰ বিভিন্ন প্ৰান্তলৈ বনজুইৰ দৰে বিয়পি পৰিল খবৰ, তেজপুৰ বিশ্ববিদ্যালয়ত ছাত্ৰীক শাৰিৰীক নিৰ্যাতন গৃহ আৰক্ষী জোৱানৰ। ক'ৰবাত যেন দাগ লাগিল অতদিনৰ স্বাভিমানৰ।

সময় পাৰ হোৱাৰ লগে লগে হুলস্থুল বাঢ়ি আহিছিল। সকলো বহি গৈছিল ৰাস্তাৰ মাজতে। কি পুলিচ, কি জি এচ কোনেও একো কৰিব পৰা নাই। এইবাৰ DSW অৰ্থাৎ ডীনো আহি ওলাল। কিন্তু নাই, আজি যেন ডীনলৈও কেৰেপ কৰা নাই এজনো শিক্ষাৰ্থীয়ে। শেষত ভিচিৰ দায়িত্বত থকা শৰ্মা ছাৰ আহি পাইছিলহি। বাৰে বাৰে উত্তেজিত ষ্টুডেন্টখিনিক বুজাবলৈ চেষ্টা কৰিছে তেখেতে। কিন্তু পৰিস্থিতি কমক চাৰি বাঢ়িলহে। সকলোৰে এটাই প্ৰস্তাৱ,

"সেই লম্পটটোক আমাৰ মাজত এৰি দিয়ক। আমি কৰিম যি কৰিব লাগে।"

খণ্ডত উতলি থকা এহেজাৰৰো অধিক ল'ৰা ছোৱালীৰ মাজত সেই জোৱানজনক এৰি দিলে কি অৱস্থা হ'ব সেয়া খুব সহজেই অনুমেয়। কি কৰিব একো বুজি পোৱা নাছিল কোনেও। তেজপুৰ বিশ্ববিদ্যালয়ৰ বৰঘৰো যেন কঁপি উঠিছিল।

সন্ধ্যাহঁত গেটৰ একেবাৰে সমুখলৈ যোৱা নাছিল। তাৰ পৰিৱৰ্তে বাছষ্টেণ্ডটোৰ সমুখতে বহি আছিল গোটেইকেইটা। লাহে লাহে সিহঁতেও যেন বুজিছিল আচল ঘটনা অলপ বেলেগ। তথাপি হোষ্টেল নগৈ ৰৈ আছিল তাতে। সন্ধ্যাহঁতৰ ডিপাৰ্টমেন্টৰে বহু কেইজনী ছোৱালীয়ে একেবাৰে সমুখত গৈ চিঞৰি আছে। কিন্তু প্ৰিয়ানুজে বাৰে বাৰে মানা কৰি ৰখাই থৈছিল সন্ধ্যাহঁতক তাত। এনেতে সন্ধ্যাৰ ফোনটো বাজিল। ঘৰৰ পৰা মাকে কৰিছে। ইতিমধ্যে ঘটনাটোৰ কথা ঘৰতো গম পাইছে মানে। হুলস্থুলৰ বাবে ফোনটো কাণত লৈ সন্ধ্যা সিহঁতৰ গ্ৰুপটোৰ পৰা আঁতৰি আহিছিল। কেই খোজ মান আঁতৰত ৰৈ থকা পুলিচৰ গাড়ীখনৰ কাষলৈ আহি মাকক ঘটনাটোৰ কথা কৈ আছিল তাই।

Kaushik

ঠিক কেই মূহুৰ্তমান পাৰ হৈছেহে। এনেতে কেইটা মান উদণ্ড ল'ৰাই সকলো সীমা পাৰ কৰি ক'ৰবাৰ পৰা বাঁহ আনি ভাঙি দিলে পুলিচৰ গাড়ীৰ আইনা। থনৰকৈ প্ৰকাণ্ড শব্দ এটা হৈ ভাঙি পৰিছিল আইনাখন। ওচৰতে ৰৈ আছিল সন্ধ্যা। কি হৈছে তলকিবলৈ নাপাওঁতেই অনুৰণে টান মাৰি আজুৰি আনিলে তাইক। প্ৰায় কেই ছেকেণ্ড মানৰ ব্যৱধান। নহ'লে ভাঙি যোৱা আইনাৰ টুকুৰা সন্ধ্যাৰ চকুৰে মুখে সোমাই পৰিলহেঁতেন। অনুৰণে আঁতৰাই অনাৰ পাছতহে ঘূৰি চাই দেখি কঁপি উঠিছিল সন্ধ্যা। পুলিচৰ গাড়ী ভঙাৰ লগে লগে পৰিস্থিতি যেন আৰু বেয়াৰ ফালে ঢাল খালে। অথনিৰে পৰা হুলস্থুল হৈ থাকিলেও কিবা শৃংখলত থকা ল'ৰা ছোৱালীখিনি হঠাৎ বিশৃংখল হৈ গ'ল। কোন কেনি গৈছে, কেনি দৌৰিছে যেন একোৰে হিচাপ নাই। অভিমন্যুহঁতৰ চকুৰ আঁৰ হৈ পৰিল সন্ধ্যা। দেৱাশীষ লৰালৰিকৈ অভিমন্যুহঁতৰ ওচৰ পালেহি,

"ইয়াত কণ্ডিচন খুবেই বেয়া। তহঁত হোষ্টেল যা চব। কি হয় গে ঠিক নাই।"

Kaushik

কিন্তু অভিমন্যু মান্তি নহ'ল,

"মই নাযাওঁ।"

"অভিমন্যু, যাবলৈ কৈছোঁ যা। নে প্ৰিফেক্ট নোহোৱাৰ কাৰণে মোৰ কথাৰ গুৰুত্বই নাই এতিয়া।" দেৱাশীষে তাৰ বাহুত ধৰি ক'লে।

"প্ৰিফেক্ট বুলি সন্মান কৰা নাছিলোঁ আপোনাক, দাদা বুলি কৰিছিলোঁ আৰু এতিয়াও কৰোঁ।" অভিমন্যুয়ে কৈছিল।

"তেন্তে যা তহঁত চব। মই এতিয়া ইউনিভাৰ্চিটীৰ ষ্টুডেন্ট নহয়, গতিকে মই থাকিলেও একো নহয়। কিন্তু তহঁতৰ ওপৰত একচন ল'বলৈ আছে।"

"কিন্তু সন্ধ্যা আৰু অনুৰণ ক'ত? সন্ধ্যা ফোন কৰিবলৈ গৈছিল।" পথীয়ে ক'লে। সকলোৱে ইফালে সিফালে চাইও নাপালে সিহঁতক।

"তহঁত যা, সন্ধ্যাহঁতক পালে মই পঠাই দিম।"

বুলি দেৱাশীষ আকৌ গেটৰ ওচৰ পালেগৈ।

দেৱাশীষৰ কথাৰ লগে লগে প্ৰিয়া, জুৰি আৰু পখীহঁত হোষ্টেললৈ আগবাঢ়িল। প্ৰিয়ানুজেও জোৰ কৰি লৈ গ'ল অভিমন্যুক। সিও বিশেষ একো নক'লে। কাৰণ অভিমন্যুয়ে জানে, অনুৰণ থকালৈকে সন্ধ্যাৰ একো নহয়।

গ্লাচ ভঙা পুলিচৰ গাড়ীখন ৰাস্তাৰ কাষতে আছিল। তাৰ কাষৰ গছখিনি পাৰ হৈ প্ৰকাণ্ড নাহৰজোপাৰ তলতে ৰৈ আছিল অনুৰণ আৰু সন্ধ্যা।

"তোমাক থৈ আহোঁ ব'লা। ইয়াত হুলস্থুল বেছি হৈছে।" অনুৰণে ক'লে।

"নাযাওঁ মই।" সন্ধ্যা আগবাঢ়ি যাব লওঁতেই হাতত ধৰি গাৰ ফালে টানি আনিলে অনুৰণে,

"মই কৈছোঁ যাবলৈ সন্ধ্যা।"

তাৰ পাছত তাইক হাতত ধৰি অনুৰণে লৈ গৈছিল সোৱণশিৰীৰ ফালে। লাহে লাহে এন্ধাৰ আঁতৰি পূৱে ধলফাট দিছিল। বেলিটোৱে ভুমুকি মৰাৰ যো জা চলাইছে। অলপ অলপকৈ পোহৰৰ চিটিকণি এটা বিয়পি পৰিছিল চাৰিওফালে। গেটৰ পৰা ভাঁহি অহা হুলস্থূলবোৰ নস্যাৎ কৰি আগবাঢ়িছিল সন্ধ্যা আৰু অনুৰণ। সোৱণশিৰী পাই সন্ধ্যাই দেখিলে অনুৰণৰ সোঁহাতৰ পতাখনত অলপ তেজ বিৰিঙি আছে।

"তেজ কেনেকৈ ওলাল?" সন্ধ্যাই চিঞৰাৰ দৰে সুধিলে।

"এই গ্লাছ গাল লাগিল হ'বলা।"

"ৰ'বাচোন মই আহি আছোঁ।" বুলি ভিতৰলৈ দৌৰ মাৰিলে সন্ধ্যা। হাতত পানী বটল, ডেটল আৰু মলম এটা লৈ আনিলে। ডেটল আৰু পানীৰে অনুৰণৰ তেজ লাগি থকা ঠাইখিনি ধোৱাই মলমটো সানি দিলে তাত। লগতে লাহে লাহে ফুঁৱাই দিছিল। অনুৰণে একেথৰে চাই আছিল মাত্ৰ। মলমটো লগাই সন্ধ্যাই ক'লে,

"এতিয়া যাতে তুমিও চিধা হোষ্টেল যোৱা। আকৌ ঘূৰি নাযাবা কিন্তু।"

অনুৰণে মুখেৰে একো মতা নাছিল। তাই তাৰ মূৰৰ চুলি খিনি জোকাৰি দি আকৌ ক'লে,

"শুনিছাতো? নাযাবা কিন্তু। মই কৈছোঁ।"

Kaushik

অনুৰণে হাঁহিছিল এইবাৰ। তাইলৈ চাই কৈছিল,

"নাযাওঁ দিয়া। তুমি যোৱা, শোৱাগৈ।"

সন্ধ্যা ভিতৰলৈ সোমাই গৈছিল। বাৰাণ্ডাৰ পৰা উভতি চাইছিল তাই। অনুৰণ ৰৈ আছিল। সন্ধ্যাই হাত জোকাৰিছিল। সেই শান্ত হাঁহিটো মাৰি অনুৰণো আঁতৰি আহিছিল পাটকাইলৈ।

পিছদিনাহে ক্লাছত খবৰটো ওলাল। আচলতে ঘটনাটো সিমান একোৱেই নাছিল হেনো। প্ৰগ্ৰেম শেষ হোৱাৰ পাছতো দেৰিলৈকে ঘূৰি ফুৰা কোনোবা যুৱতীক হোষ্টেল যোৱাৰ নিৰ্দেশ দিছিল হোম গাৰ্ড জনে। যুৱতী গৰাকী যাবলৈ অমান্তি হোৱাত তৰ্কা তৰ্কিৰ সৃষ্টি হয় আৰু তাৰেই পৰিণতি হ'ল সেইবোৰ। মানুহৰ মুখ বাগৰি সেই তৰ্কা তৰ্কিয়েই ধৰ্ষণৰ ৰূপ ল'লে। সন্ধ্যাহঁত হোষ্টেল অহাৰ পিছতো বহু সময়লৈকে হেনো তাত মানুহবোৰ ৰৈয়ে আছিল। ৰাতিপুৱাৰ লগে লগে ওচৰৰ স্থানীয় লোক আহিও ভৰ্তি হৈছিলহি। লগতে দুই এটা নিউজ চেনেল। শেষত সেই জোৱানজনে লিখিত ভাৱে তেওঁৰ অপৰাধ মানি লোৱাৰ পাছতহে যাবলৈ দিয়া হৈছিল বোলে। বাতৰিটো অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে বিয়পিছিল। তেইছ বছৰীয়া তেজপুৰ বিশ্ববিদ্যালয়ৰ ইতিহাসত লাগি গৈছিল এটা চেঁকা দাগ। তেতিয়াই বন্ধ হৈ গৈছিল তেজপুৰ ইউনিভাৰ্চিটীৰ আৱেগ Techxetra। যেন কাৰোবাৰ গ্ৰহণহে লাগিছিল কাঞ্চনৰ চহৰখনত। আৱেগত লোৱা কিছুমান পদক্ষেপৰ পৰিণতি ভুগিবও লগা হৈছিল এচাম ছাত্ৰ ছাত্ৰীয়ে। সেই ঘটনাটোত প্ৰত্যক্ষভাৱে জড়িত থকা এজন এজনকৈ কেইবা জনো ছাত্ৰ ছাত্ৰীক এক দুই বছৰৰ বাবে বহিস্কাৰ কৰি দিলে ইউনিভাৰ্চিটীয়ে। অভিযোগ আহিছিল পুলিচৰ গাড়ী ভঙাটোক লৈ। হিংসাত্মক ঘটনাৰ সূত্ৰপাট কৰাৰ দোষত স্তব্ধ হৈ গৈছিল বহুকেইজনৰ শৈক্ষিক জীৱন। এটা সৰু ভুলে অমানিশা নমাইছিল বহুতৰ জীৱনলৈ। অৱশ্যে ভুল বুলিও একে আষাৰে ক'ব নোৱাৰি। ইউনিভাৰ্চিটিৰ ছোৱালী এজনীৰ ধৰ্ষণৰ খবৰত কোননো নোযোৱাকৈ থাকিব পাৰিব! সমুখত নাছিল বাবে সন্ধ্যাহঁতৰ নামবোৰ বাদ পৰিছিল যদিও Techxetraৰ পৰাই গোটেই ছেমিষ্টাৰটো ভয়ে ভয়ে পাৰ কৰিছিল গোটেই ল'ৰা ছোৱালীবোৰে। Techxetraৰ কথা যেন মুকলিকৈ পাতিবলৈও সংকোচ কৰিছিল। আনকি বহুতে মোবাইলত থকা Techxetraৰ ফটোখিনিও আতঁৰাইছিল। যেন ফটোখন থাকিলেও কোনোবাই কিবা সন্দেহ কৰিব। বহুতে যদি নিয়মৰ অধিক শিথিলতা দিয়াটোক দূষিছিল, কোনো কোনোৱে আকৌ ছাত্ৰ ছাত্ৰীক দোষ দিছিল। মুঠতে বহুদিনলৈ একো

Kaushik

প্ৰতিবাদ কৰিব নোৱাৰাকৈ কঁকাল ভাঙি পৰিছিল ছাত্ৰ শক্তিৰ। মাত্ৰ ক্লাছ কৰা, পৰীক্ষা দিয়া তেনেকৈয়ে পাৰ হৈছিল অভিশপ্ত বছৰটো।

ছেমিষ্টাৰৰ বন্ধত ঘৰলৈ গৈছিল সন্ধ্যাহঁত। তেতিয়া মাঘবিহুৰ সময়। দুদিন পাছতে বিহু। বিহুৰ পিছদিনাৰ পৰাই আকৌ ক্লাছেই। সেইদিনা আবেলি সন্ধ্যাই আইতাকৰ লগত ঢেঁকী দি আছিল। এনেতে কলিং বেলটো বাজিল।

"ধন, তই? ঘপকৈ ওলালিহি যে?"

বাহিৰলৈ গৈ সিদ্ধাৰ্থক দেখিয়ে সন্ধ্যাৰ মাকে ক'লে। লখিমপুৰৰ পৰা হঠাৎ খা খবৰ নিদিয়াকৈ বিশ্বনাথ চাৰিআলি পোৱা সিদ্ধাৰ্থক দেখি সন্ধ্যাৰ মাক আচৰিত হৈছিল। ভতিজাকৰ একো উত্তৰ নোপোৱাত তেওঁ আকৌ সুধিলে,

"কি হ'ল ধন? দাদা বৌহঁতৰ ভালতো?"

"ভালেই পেহী। এই ৰুণজুন নাই নেকি?" ভিতৰৰ চোফাতে বহি সিদ্ধাৰ্থই ক'লে।

"ঢেঁকীশালতে আছে। ৰ, মই পঠাই দিওঁ।" বুলি সন্ধ্যাৰ মাক ভিতৰ সোমাল।

সন্ধ্যা সোমাই আহি সিদ্ধাৰ্থক দেখি সুধিলে,

"ধন দা, কি হ'ল? এনেকৈ ঘপকৈ। আৰু ইমান টেনশ্যনত আছ যে?"

"শিখাৰ বিয়া।"

সিদ্ধাৰ্থৰ কথাত চিঞৰি উঠিল সন্ধ্যাই,

"কি? কেতিয়া?"

"চুপ, নিচিঞৰিবি। এই মাঘতেই আঙুঠি পিন্ধাব। তাৰ পাছত বহাগত বিয়া। মই কি কৰিম ৰুণ?"

সিদ্ধাৰ্থই যেন এইমাত্ৰ জোৰেৰে কান্দি দিব। খুব দুখত থকা যেন লাগিছিল তাক দেখিয়েই। সন্ধ্যাই ক'লে,

"একো চিন্তা নকৰিবি। শিখা বাৰ বিয়া তোৰ লগতে হ'ব।"

"কেনেকৈ?"

kaushik

সিদ্ধাৰ্থৰ প্ৰশ্নত মাত্ৰ দুষ্টালিৰ হাঁহি এটা মাৰিলে সন্ধ্যাই। সিদ্ধাৰ্থই বুজি নাপালে একো। কেনেকৈ পাতিব বাৰু ৰুণজুনে, শিখা আৰু সিদ্ধাৰ্থৰ বিয়া ?

(আগলৈ)

#নিৰিবিলি

Part 91

"এইখন চাল্লা বিয়া নে অসম চৰকাৰ অ', সমস্যা যে শেষেই নহয়।"

নীলাচলৰ পুলটোত বহি ক্ষোভ উজাৰি হাতত থকা কাঞ্চনৰ ডালটো ফিল্ডলৈ দলি মাৰি অভিমন্যুয়ে কোৱা কথাটোত সন্ধ্যাই টপককৈ মাতিলে,

"ডাইলগটো কোনোবা চিনেমাৰ আছিল নেকি?"

"বিধাতা, যতীন বৰা আছে যে।" ওচৰতে থকা দীপকেই উত্তৰটো দিলে।

"ঠিক ধৰিছোঁ মই।" বুলি সন্ধ্যাই কোৱাৰ লগে লগে অভিমন্যুয়ে চিঞৰি উঠিল,

"এতিয়া ডাইলগতে লাগি থাক। সিফালে বিয়া হৈ শেষেই হ'ব গৈ।"

সন্ধ্যাহঁত ইউনিভাৰ্চিটীলৈ অহা প্ৰায় চাৰি পাঁচদিন মানেই হ'ল। নতুন ছেমিষ্টাৰৰ আৰম্ভণি হৈয়ে গ'ল। এইবাৰ সন্ধ্যাহঁতৰ ব্যস্ততা বহুত বেছি। কাৰণ এইটো ছেমিষ্টাৰৰ লগে লগেই সিহঁতৰ গ্ৰেজুৱেচন শেষ হ'ব। তাৰ পাছতে কোনোবাই ইচ্ছা কৰিলে ওলাইও যাব পাৰে নহ'লে তাতে থাকি এম এও কৰিব পাৰে, যিহেতু কোৰ্চটো পাঁচ বছৰীয়া। তিনি বছৰ সম্পূৰ্ণ হ'বলৈ আৰু মাত্ৰ পাঁচ মাহ বাকী। তাৰ পাছতেই সিহঁত অফিচিয়েলি গ্ৰেজুৱেটেড। অৱশ্যে অভিমন্যুৰ হে অলপ বেলেগ। যিহেতু সি বিএ বিএডৰ, গতিকে এতিয়াই তাৰ গ্ৰেজুৱেচন কম্প্লিট নহয়। তাৰ পৰিৱৰ্তে সম্পূৰ্ণ চাৰি বছৰত বিএ আৰু বিএড দুটা ডিগ্ৰী লাভ কৰিব। অৰ্থাৎ, কাঞ্চনৰ চহৰত অভিমন্যুৰ এই পাঁচ মাহ বাদ দি আৰু এটা বছৰহে আছেগৈ। সঁচাই, কোনোবা কবিয়ে ঠিকেই কৈছিল সময় যে পাখিলগা কাঁড়।

Kaushik

গ্ৰেজুৱেচনৰ ফাইনেল ছেমিষ্টাৰ বাবে সন্ধ্যাহঁতৰ মূৰ দাঙিব নোৱাৰা ব্যস্ততা। এফালে দৈনিক ক্লাছ, আনফালে গ্ৰেজুৱেচন প্ৰজেক্ট। সন্ধ্যাৰ গাইড পৰিছে শান্তিপ্ৰিয়া মেম। মেমৰ নাম যেনেকুৱা, মানুহগৰাকীও একেবাৰে একেই। হয়তো গোটেই ডিপাৰ্টমেন্টটোতে আটাইতকৈ শান্ত আৰু মৰমিয়াল মেম শান্তিপ্ৰিয়া। ষ্টুডেন্টৰ ভুল দেখিলেও মৰমেৰে বুজাই দিয়ে তেখেতে। সেইবাবেই মেমৰ ক্লাছত কেতিয়াও এটেনডেন্স কমৰ বাবে কাকো গালি পাৰিব লগা নহয়েই। মেমৰ পেপাৰখনতো সকলো ষ্টুডেন্টেই ভাল মাৰ্কচ পায়। আচলতে পেপাৰখন মেমে ইমান মৰমেৰে পঢ়াই যে কোনেও নুবুজাকৈ নাথাকে। মেম বেংগলী, ঘৰ কলকাতাত। অসমীয়া ভালকৈ নাজানে যদিও দুই এটা ভঙা ভঙা অসমীয়া কয়। মেমৰ মৰমিয়াল স্বভাৱটোৰ বাবেই সন্ধ্যাই অলপ আজৰি পাইছে। নহ'লে এৰিকা মেমহঁতৰ আণ্ডাৰত পৰা জুৰি আৰু মনশ্ৰীহঁতৰ যে অৱস্থা নোহোৱা হৈছে।

পিছে এতিয়া গ্ৰেজুৱেচন প্ৰজেক্টতকৈও ডাঙৰ সমস্যা আহি পৰিছে সন্ধ্যাহঁতৰ ওচৰত। সেইবাবে সকলো ব্যস্ততা এৰিও সন্ধ্যা, অনুৰণ, অভিমন্যু, ময়ূঁৰ, পখী, হিমাদ্ৰী, চন্দ্ৰালী, দীপক, প্ৰিয়ানুজ আৰু সিদ্ধাৰ্থ আহি একেলগে গোট খাইছেহি। সিদ্ধাৰ্থৰ লগত গোটেইখিনিৰ ভাল। সকলোকে যেতিয়াই পাৰে সি সদায় সহায় কৰি আহিছে। সেয়া লাগিলে কাৰোবাক পইছা দিয়ে হওঁক নাইবা কাৰোবাক বাইকেৰে অনা নিয়া কৰিয়ে হওঁক। সঁচাকৈ, সমস্যা যিয়ে নহওঁক সমাধান যেন সদায় সিদ্ধাৰ্থ। ঘপকৈ টাউনৰ পৰা আহিব লাগে, "সিদ্ধাৰ্থ দাৰ বাইকখন ল", কিবা ফৰ্ম ফিল আপৰ পইছা লাগে, "সিদ্ধাৰ্থ দাৰ পৰা ধাৰ ল", কাৰোবাৰ Assignment নহ'লে Dissertation ৰ প্ৰব্লেম, "সিদ্ধাৰ্থ দাক সুধি ল"। গতিকে সন্ধ্যাই খবৰ দিয়াৰ লগে লগে তাৰ বিপদত গোটেই খিনিয়ে উবুৰি খাই পৰিছেহি। আচলতে মিটিংখন অভিমন্যু আৰু সন্ধ্যায়েই আয়োজন কৰা। কথা অতি গুৰুতৰেই, অহা সপ্তাহত শিখাৰ আঙুঠি পিন্ধোৱা। দৰা চৰকাৰী চাকৰিয়াল। গতিকে শিখাৰ মাক দেউতাকে জোৰ জবৰদস্তি কৰি বিয়া দিবলৈ ওলাইছে। বেচেৰী শিখাই চকুপানী টোকাৰ বাহিৰে একো কৰিব পৰা নাই। মাকে তাইৰ মোবাইলটোও কাঢ়ি থৈছে হেনো। সেই যে সন্ধ্যাৰ কথামতে সিদ্ধাৰ্থই মাক দেউতাকক শিখাৰ ঘৰৰ লগত কথা পাতিবলৈ কৈছিল, তাৰ পাছৰ পৰা সমস্যা বাঢ়িলহে। সিদ্ধাৰ্থৰ মাক দেউতাকে অনুৰোধ কৰাৰ পাছতো শিখাৰ ঘৰত কোনোমতে ৰাজি নহয় বিয়াৰ বাবে। গতিকে উপায় কি?

kaushik

"এ বেছি ভাবি লাভ নাই, উঠে দিবা লাগে চিধা ঘৰৰ পেৰে। গট্টে মখান যায় উঠে আনলি মায়েক আহো কি কৰবা পাৰব এ?"

হিমাদ্ৰীয়ে ক'লে।

"একদম ঠিক কৈছা হিমাদ্ৰী বা। আমি তেনেকুৱাই"

পখীৰ কথা শেষ নহওঁতেই সিদ্ধাৰ্থই ক'লে,

"নহয় অ', এনেকৈ কৰিলে জেং বেছিহে হ'ব।"

"বাপ্পা ঐ, এনকে ভয় কৰি কৰি আৰু প্ৰেম কৰে না।"

হিমাদ্ৰীৰ খঙেই উঠিল। এইবাৰ চন্দ্ৰালীয়ে তাইক বুজালে,

"নহয় অ' হিমাদ্ৰী, ঘপকৈ কিবা এটা কৰাৰ আগত আমি কথাটো ভালকৈ চাই ল'ব লাগিব ন। নহ'লে পাছত বেছি সমস্যাহে হ'বগৈ।"

"তেন্তে কি কৰা যায়?" অভিমন্যুয়ে সুধিলে।

এইবাৰ বহু সময়ৰ পৰা মনে মনে থকা প্ৰিয়ানুজে ক'লে,

"এটা কথা ঠিক যে এতিয়া আৰু বুজাই মেলি চোৱাৰ সময় নাই। সেইবোৰ কৰাৰ সময় পাৰ হ'ল। গতিকে ঘিঁ উলিয়াবলৈ হ'লে আঙুলি বেঁকা কৰিবই লাগিব।"

"ঠিকেই কৈছে প্ৰিয়ানুজ দাই। অলপটো ৰিস্ক ল'বই লাগিব। কথাটো ইমান সহজো হৈ থকা নাই। শিখা বাৰ ঘৰলৈ কোনোবা যাব পৰা হ'লে।"

ময়ূঁৰৰ কথাৰ লগে লগে সিদ্ধাৰ্থই ক'লে,

"কেনেকৈ যাবিনো, মিতিৰৰ মানুহখিনিৰ বাহিৰে কোনো মানুহ মতাই নাই। তাতেই তাইৰ দুই এজনী লগৰ ছোৱালী। সেয়াই।"

হঠাৎ সন্ধ্যাই ক'লে,

"এক মিনিট, লগৰ ছোৱালীতো যাব? মানে তাৰে?"

"অঁ, যাব দুই এজনী। কিয়?" সিদ্ধাৰ্থই সন্ধ্যাক সুধিলে। সন্ধ্যাই হাঁহি এটা মাৰি পখীলৈ চালে। ইংগিত বুজি পাই পখীয়েও হাঁহিৰেই প্ৰত্যুত্তৰ দিলে।

"আমাকো বুজাবি নে কি?" অভিমন্যুৰ কথাত সন্ধ্যাই ক'লে,

kaushik

"শিখা বাক আঙুঠি পিন্ধোৱাৰ আগদিনাই ঘৰৰ পৰা পলুৱাই আনিম।"

"কি?" পৰিৱেশ পাহৰি গোটেই কেইটাই চিঞৰ মাৰি উঠিল। ৰাস্তাৰে গৈ থকা মানুহেও ঘূৰি চাইছিল সিহঁতলৈ।

"সেইটোৱেই ভাল হ'ব। নহ'লে বেলেগ উপায় নাই।" ময়ূঁৰেও সন্ধ্যাৰ কথাত হয়ভৰ দিলে।

"হে কৃষ্ণ, এইখন মহাপাপ হ'ব।" দীপকে হাতযোৰ কৰি ওপৰলৈ চালে। পথী আহি তাৰ কাষত ৰৈ ক'লেহি,

"ঐ, তই যে হে কৃষ্ণ বুলি মাতিলি এই কৃষ্ণইও জানো ৰুক্মিণীক পলুৱাই অনা নাছিল? এতিয়া কৃষ্ণ কি পাপী নেকি?"

"ছিঃ ছিঃ, এইজনীৰ মুখত জুই লাগক ঔ। কিথন কৈছে শুনাচোন।"

দীপকৰ কথাত চিন্তাৰ মাজতো সকলোৱে হাঁহি পেলাইছিল। পিছে সিদ্ধাৰ্থহে এতিয়াও আশ্বস্ত হ'ব পৰা নাই,

"কিন্তু ঠিক হ'ব জানো এইটো?"

"আৰাম চে হ'ব। আমি গৈ মানুহক দম দি উঠাই নানোঁতো। মনে মনে হে পলুৱাই আনিম।"

সন্ধ্যাৰ কথাত হয়ভৰ দি পথীয়ে ক'লে,

"ঠিকেইতো। আৰু কেনেকৈ শিখা বাক উলিয়াই আনিব লাগে, সেইটো সন্ধ্যা আৰু মোৰ দায়িত্ব। আপোনালোকে মূঠতে গাড়ী এখন ঠিক কৰক।"

পথীৰ কথাৰ লগে লগে প্ৰিয়ানুজে ক'লে,

"গাড়ী হৈ যাব। মোৰ চিনাকি দাদা এজন আছে ইয়াতে। তেওঁক খুজিলে দিবই।"

"পিছে গাড়ীৰ লগতে ভাল ড্ৰাইভাৰ এজনো লাগিব। স্পীডত চলাব জনা।"

সন্ধ্যাৰ কথাটো শুনি অভিমন্যুয়ে হাঁহি মাৰি অনুৰণলৈ চালে। গাড়ী বুলিলেই পাগল অনুৰণে আগবাঢ়ি আহি ক'লে,

"সেইটো মই পাৰিম।"

Kaushik

সন্ধ্যাই বেলেগে নেদেখাকৈ অনুৰণলৈ চাই এখন বিশেষ ভংগীমাৰে দাঙি মুখেৰে শব্দ নোলোৱাকৈ ক'লে,

"ৱা---হ"

অনুৰণে উত্তৰত মিচিকিয়ালে মাত্ৰ।

সিদ্ধান্ত হৈ গ'ল তেতিয়াই। সকলোৱে মিলি "শিখাহৰণ"ৰ পৰিকল্পনা কৰি পেলালে। সন্ধ্যা আৰু পখী শিখাৰ লগৰ ছোৱালী বুলি চিনাকি দি আঙুঠি পিন্ধোৱাৰ দুদিন আগত তাইৰ ঘৰলৈ যাব। সন্ধ্যাই সুযোগ বুজি শিখাক বাহিৰলৈ উলিয়াই আনিব। পখীয়ে ৰেহৰূপ চাবলৈ ঘৰতে ৰ'ব। গাড়ীত অনুৰণ আৰু সিদ্ধাৰ্থ বহি থাকিব। সুযোগ বুজি শিখা আৰু সন্ধ্যা গাড়ীত বহিব। সিহঁতৰ পৰা ইংগিত পাইয়ে ইফালে পখীও অভিমন্যুৰ লগত বাইকত উঠি গুছি আহিব।

"কিন্তু শিখাহঁতৰ ঘৰৰ মানুহে যদি খেদাই আহে। নহ'লে পুলিচত খবৰ দিয়ে, গোটেই সোপা জেইলত সোমাম চোন।"

দীপকৰ কথাত চিন্তাত পৰিছিল সকলো। হয়তো, কেনেবাকৈ অপহৰণৰ অভিযোগত গোটেই গাল জেইলত সোমাবলগীয়া হয় যদি। ইয়াৰ উপায় হিমাদ্ৰীয়েই দি ক'লে,

"চা, শিখাহঁতৰ ঘৰৰ মানুহে পুলিচত খবৰ দিলেও পুলিচ প্ৰথমে লখিমপুৰ মানে সিদ্ধাৰ্থ দাহঁতৰ ঘৰলৈ যাব। কিন্তু আমি যদি তাইক আনি তেজপুৰতে কৰ্ট মেৰেজ কৰাই দিওঁ তেতিয়া?"

সকলোৰে মুখবোৰ আকৌ উজলি উঠিল। চন্দ্ৰালীয়ে ক'লে,

"বঢ়িয়া। মোৰ উকীল এজন চিনাকি আছেই। তেওঁক কৈ থ'ম। অনুৰণে গাড়ী বাহিৰে কোৰ্টলৈকে নিবা। আমি তাত ৰেডি হৈ থাকিম।"

"তাৰ পাছত কিন্তু বিয়াখন হ'ব লাগিব। মহাভৈৰৱতেই পাতি দিলে কেনে হয়?"

অভিমন্যুৰ কথাৰ লগে লগে দীপকে ক'লে,

"একদম ঠিক। মোৰ এজন পুৰোহিত চিনাকি আছেই। তেওঁক কৈ মন্দিৰত চব ব্যৱস্থা কৰাই থ'ম।"

সন্ধ্যাই সিদ্ধাৰ্থৰ কাষ চাপি ক'লে,

kaushik

"কৈছিলোঁ নে মই, শিখা বাৰ বিয়া তোৰ লগতে হ'ব। তই মাত্ৰ কইনাৰ কাপোৰ আৰু গহণাৰ যোগাৰ কৰ।"

"ঐ ৰাম, আমাৰ সিদ্ধাৰ্থ দাৰ বিয়া হে"

চন্দ্ৰালীয়ে বিয়া নাম এজোলোকা দিলেই। দীপকে মুখত আঙুলিটো সোমোৱাই উৰুলি দিলে, "উউউউলুউউউউ"

"বাহ দীপক, তুমি উৰুলি দিবও জানা?"

প্ৰিয়ানুজে সুধিছিল।

"অঁতো আকৌ। গাঁৱত বিয়াবোৰত কত উৰুলি দিলোঁ কত বিয়া নাম গালোঁ। মোৰ বিয়া নাম শুনিলে ছোৱালী বোৱাৰী চবেই সৰসৰাই চকু পানী টোকে বুইছা।"

দীপকৰ কথাত জোৰকৈ হাঁহি দিছিল গোটেই কেইটাই। বহু সময়ৰ মূৰত হাঁহি বিৰিঙিছিল সিদ্ধাৰ্থৰ মুখতো।

পিছদিনাৰ পৰাই বিয়াৰ যা যোগাৰ আৰম্ভ। দৈনিক এৰাব নোৱাৰা ক্লাছবোৰতো আছেই তাৰ মাজতে প্ৰিয়ানুজে তৌফিক আৰু ময়ূঁৰক লৈ চিনাকি মানুহটোৰ ঘৰ ওলালগৈ। প্ৰয়োজনীয়া কথা বতৰা পতাৰ পাছত প্ৰিয়ানুজে আচল কথাটো উলিয়ালে,

"দাদা, আচলতে আপোনাৰ গাড়ীখন লাগিছিল এদিনৰ কাৰণে। যদি আপোনাৰ একো অসুবিধা নহয়, দিব পাৰিব নে?"

মানুহজন প্ৰিয়ানুজৰ লগত ভাল আছিল যথেষ্ট। সেয়ে একে আষাৰে ক'লে,

"নাই নাই। অসুবিধা কিহৰ? নিব পাৰিবা। পিছে কিবা বিশেষ কাম?"

লগে লগেই তৌফিকে টপককৈ মাত দিছিলেই,

"এই মানে ছোৱালী এজনী--"

"মানে দাদা, আমি আকৌ ছোৱালী এজনীকো লগ কৰিব লাগে, গতিকে বেছি দেৰি নকৰোঁ নেকি!"

Kaushik

ময়ূঁৰে যেনিবা বচালে। তৌফিকলৈ কেৰাহিকৈ চাই প্ৰিয়ানুজে মানুহজনক কোনদিনা গাড়ীখন নিব কথাখিনি পাতিলে।

"তুমি মানুহ মাৰিবা হে।"

উভতি আহোঁতে তৌফিকক ধমকি মাৰি উঠিল প্ৰিয়ানুজে। তৌফিকে সৰু মাতেৰে ক'লে,

"মই ভাবিছিলোঁ কথাটো কৈ থোৱা ভাল।"

"কি কথা কৈছে তৌফিক দা, ছোৱালী পলুৱাই আনিবলৈ গাড়ী খোজা বুলি গম পালে তেওঁলোকে গাড়ী দিব নেকি?"

ময়ূঁৰে কৈছিল। বেচেৰা তৌফিকে ইমানখিনিলৈকে ভবাই নাছিল। বাৰু যি নহওঁক সেইবাৰলৈ সিহঁত ৰক্ষা পৰিল। লগতে গাড়ীৰ ব্যৱস্থাটোও হ'ল। প্ৰিয়ানুজে সন্ধ্যালৈ ফোন লগালে,

"সন্ধ্যা, গাড়ী ফাইনেল হৈ গ'ল।"

স্বস্তিৰ নিশ্বাস এৰিলে সন্ধ্যাই। এটা কাম অন্ততঃ হ'ল।

Kaushik

"হেৰা, গোটেই তেজপুৰত এই পোনাৰাম শৰ্মাৰ নিচিনা পুৰোহিত নেপাবা বুইছা। এই দুখন হাতেৰে কিমান বিয়া পাতিলোঁ। মই পাতি দিয়া জোৰা একদম হৰ গৌৰীৰ জোৰা হয় বুইছা, দেৱতাইও ভাঙিব নোৱাৰে।"

বিয়াৰ বাবে ঠিক কৰিবলৈ অহা পুৰোহিতজনৰ কথা শুনি দীপকে মূৰ খজুৱাই ক'লে,

"মই জানো কাৰণেইতো আপোনাৰ ওচৰলৈ আহিছোঁ। কিন্তু দেউ, পইছাটো অকণমান কমাই ধৰাহেঁতেন।"

অথনিৰে পৰা একেটা কথাকে পেঘেনিয়াই থকা দেখি দেউৰ খং উঠি দীপকক ভেকাহি মাৰিলে,

"হেৰা, এইখন কি মাইকী মানুহৰ কাপোৰ কিনা দোকান পাইছা নেকি দাম দৰাই থাকিবলৈ? মোৰ হিচাপটো ক'লো, নিমিলিলে নালাগে যোৱা।"

কথা বিষম দেখি এইবাৰ লগতে থকা ময়ূঁৰে মাত দিলে,

"হ'ব দেউ হ'ব। সেইটো হিচাপতেই হ'ব দিয়ক। আপুনি কিন্তু সময়তকৈ আগতেই ৰেডি থাকিব।"

দেউৰে ক'ব নেপাওঁতেই দীপকে ক'লে,

"অঁ, অঁ। মানে সিহঁতে ছোৱালী পলুৱাই আনিয়েই---"

লগে লগে পোনাৰাম শৰ্মা জঁপিয়াই উঠিল,

"কি ক'লা? পলুৱাই আনিব? নাই নাই নাই দেই। এইবোৰ জেওত সোমাই মই ৰঙাঘৰৰ ভাত খাবলে নাই। মোৰ গোটেই কেৰিয়াৰ বৰবাদ কৰিবা হে।"

"পলুৱাই নহয় দেউ, উলিয়াই উলিয়াই। মানে ছোৱালীজনী ঘৰৰ পৰা উলিয়াই আনিয়েই চিধা বিয়াতে বহাব। আমি ইউনিভাৰ্চিটীত পঢ়ি থকা ল'ৰা। এইবোৰ কাম কিয় কৰিম কওঁক?"

কথাখিনি কৈ ময়ূঁৰে যেনে তেনে পৰিস্থিতিটো চম্ভালিলে। দেউ মান্তিও হ'ল। এইবোৰ কাৰণতে প্ৰিয়ানুজে দীপকক অকলে পঠোৱা নাছিল। জানেই যে ই কিবা নহয় কিবা এটা কৰিব। ভাগ্যে ময়ূঁৰ আহিল বুলিহে।

"তুমি বৰ টপককে মিছা কথা ক'ব পাৰা হে।"

দীপকে বাটত ময়ূঁৰক ক'লে। ময়ূঁৰে হাঁহি মাৰি ক'লে,

"যদি এটা মিছা কথাই কাৰোবাৰ ভাল কৰে, তেন্তে সেইটো কোৱাত আপত্তি কি?"

সন্ধ্যাই ফোন কৰিছিলেই। ময়ূঁৰে কাণত লৈ ক'লে,

"পুৰোহিত ফাইনেল।"

"য়েচ, বঢ়িয়া।" প্ৰশান্তিত উশাহ ল'লে সন্ধ্যাই।

"ঠিক আছে। মই চব ৰেডি কৰি লৈ যাম। হয়, হয় সাক্ষীও ঠিক আছে চব। আমি অলপ আগেয়ে যাম। সিহঁত অহাৰ আধা ঘন্টা মান আগেয়ে। গৈ পাইয়ে চব ৰেডি কৰি থ'ম যাতে সিহঁত আহিয়ে লগে লগে কামখিনি কৰি ল'ব পাৰে। আপুনি সহায় কৰি দিব আৰু। হয় হয়, ঠিক আছে। থেংক ইউ চ' মাচ্চ আংকল।"

Kaushik

ফোনটো কাটি দীঘল উশাহ এটা টানিলে চন্দ্ৰালীয়ে।

"ফাইনেল ন?" ওচৰতে থকা সন্ধ্যাই সুধিলে।

চন্দ্ৰালীয়ে মূৰ দুপিওৱাৰ লগে লগে ওচৰতে থকা পথী আৰু হিমাদ্ৰীয়ে চিঞৰি উঠিলে,

"য়া------হুউউউ।"

"ঐ, ঐ এইখন কিতাপৰ দোকান। মাছৰ বজাৰ নহয়।"

বকুল দাই ধমক মাৰিলে সিহঁতক। সিহঁত চাৰিওজনী অথনিৰে পৰা মহামায়াতে আছেহি। ইমান এটা ডাঙৰ কাণ্ড কৰিবলে গৈ আছে বকুল দাই নাজানিলে হ'ব নে? সেইবাবেই সন্ধ্যাহঁত আহি গোটেইখিনি ক'লেহি তেওঁক। প্ৰথমতে বকুল দাই গালিয়েই দিছিল,

"তহঁতে ইয়াত পঢ়িবলৈ আহিছ নে এইচব কৰিবলৈ আহিছ হা?"

পিছত যেনিবা সন্ধ্যা আৰু চন্দ্ৰালীয়ে বুজাই কোৱাত তেওঁ বুজিলে। লগতে পাৰেমানে সহায় কৰিব বুলিও কথা দিলে। এতিয়া তেওঁৰ ধমকিত হিমাদ্ৰীয়ে ফোঁচ ফোঁচাই উঠিল,

"এ থক হে, মাছ বেপাৰীতকেও বেছি চেল চেলে থাকে আপনি আপী গিলা লগত।"

চন্দ্ৰালী, পথী আৰু সন্ধ্যাৰ হাঁহি হাঁহি অৱস্থা নোহোৱা হ'ল হিমাদ্ৰীৰ কথাত।

"এইজনীয়ে যে মানুহ মাৰিব কেতিয়াবা।"

চন্দ্ৰালীয়ে হাঁহি হাঁহি ক'লে।

তাৰ লগে লগেই বিয়াৰ কথা বতৰাও চলাই গ'ল সিহঁতে। মাজতে পথীয়ে কথাটো উলিয়ালে,

"পিছে কন্যাদান কোনে কৰিব?"

"অভিয়ে কৰিম কৈছিলতো।" সন্ধ্যাই ক'লে।

"হেই, সি আথে দিম হে কৈছিল ভায়েক হৈ। কিন্তু কন্যাদান?" চন্দ্ৰালীয়ে ক'লে। আকৌ এটা চিন্তা। কি কৰা যায়? কন্যাদান কৰিব পৰাকৈ তেনেকুৱা কাক ক'ব পৰা যায়? পিছে উপায়তো বকুল দায়ে দিলে,

kaushik

"হ'ব দে। মই কৰিম কন্যাদান।"

সন্ধ্যাহঁতে সপোনতো ভবা নাছিল যে বকুল দাই নিজে এইটো কথা ক'ব।

"বকুল দা, সঁচাকৈ কৈছে আপুনি?"

"অঁ আকৌ। তহঁত মোৰ ছোৱালীৰ নিচিনাই দেচোন। আৰু শিখাকো জানো মই কম মৰম কৰিছিলোঁ? বেচেৰীয়ে কিমান আবেলি মোৰ দোকানতে আহি আড্ডা মাৰিলেহি। আজি তাইৰ বিয়াখনত মই--"

কথা কৈ কৈ হঠাৎ আৱেগিক হৈ পৰিল বকুল দা। হিমাদ্ৰী আগুৱাই গ'ল,

"এই বকুল দা। কিয় এনেকুৱা কৰিছে হা? শিখাইও ভাল পাব আপুনি কন্যাদান কৰিলে।"

সন্ধ্যা আৰু চন্দ্ৰালীয়ে আচৰিত হৈ হিমাদ্ৰীলৈ চালে। হিমাদ্ৰীয়ে বুজিব পাৰি ক'লে,

"ধেমালি কৰোঁ, কাজিয়া কৰোঁ। কিন্তু আপুনি আছে কাৰণেই কেম্পাছটো কিবা এটা নিজৰ নিজৰ লাগে।"

"জানো অ' আই। তহঁত মথা আছ কাৰণেইতো এই ককায়েৰতো হাঁহি মাতি আছোঁ।"

বকুল দাৰ কথা হিমাদ্ৰীহঁত আগুৱাই গৈ তেওঁক সাৱটি ধৰিলে। সন্ধ্যাই আঁতৰৰ পৰা চাই ৰৈছিল। এইটোৱে তাইৰ পৰিয়াল। তাইৰ মৰমৰ পৃথিৱীখন। ইয়াৰ পৰা ওলাই যোৱাৰ পাছতো তাই বহুদিনৰ পাছত কাৰোবাক ক'ব পাৰিব, ইউনিভাৰ্চিটীত তাইৰ এটা ঘৰ আছিল। য'ত এটা মৰমিয়াল পৰিয়াল আছিল।

দিন ওচৰ চপাৰ লগে লগে আয়োজনবোৰো হৈ আছিল। কিবা কিবি কামত টাউনলৈ আহ যাহ কৰি থকাটো সন্ধ্যাহঁতৰ নিয়মেই হৈ গৈছিল। বাছৰ টাইমিংবোৰ যেন মুখস্থ হৈ গৈছে। মন্দিৰৰ কমিটীৰ লগত কথা পাতিবলৈ যোৱা, হোমৰ বাবে দৰকাৰী বস্তু অনা, উকীলক লগ কৰিবলৈ যোৱা এই সকলোখিনি কৰি আছিল সিহঁতবোৰে। সন্ধ্যাই প্ৰতিটো কথাৰ তদাৰক কৰি গৈছিল। আৰু দিনটোৰ শেষত সন্ধিয়া এঠাইত বহি লৈ গোটেই কেইটাই কি কি আগবাঢ়িছে আলোচনা কৰিছিল। Essentialৰ গোল টেবুলত, এমিনিটীৰ গাখীৰ চাহৰ সোৱাদত, হোষ্টেলৰ আগৰ পুলকেইটাত নহ'লে একদম মেইন চেন্টাৰ মানে মহামায়াত। সিহঁত যেন এখন যুদ্ধলৈহে আগবাঢ়িছে এনে অনুভৱ হৈছিল।

Kaushik

সন্ধিয়াবোৰ চবৰে লগত আড্ডা মাৰি মাৰি বেছ মজাকৈ পাৰ হয়। প্ৰায়েই সিদ্ধাৰ্থই চবকে চাহ, চিংৰা আদি খোৱাই। সিহঁতে তাৰ কাৰণে কমখিনি কৰা নাই। সিদিনা সেইটো কৈ কৈ সি আৱেগিক হৈয়ে গৈছিল,

"তহঁত কোনোবা জনমত মোৰ নিজৰ ভাই ভনী আছিলি চাগে। যিখিনি কৰিছ মোৰ কাৰণে কোনেও কৰিব নোৱাৰে।"

"হেই, তেনেকৈ কিয় ভাবিছে। আপুনি আমাৰ নিজৰ দাদা নহয় নেকি?"

হিমাদ্ৰীয়ে কৈছিল।

এইবোৰৰ মাজতে দিনটো পালেহি। মানে সন্ধ্যাহঁত শিখাহঁতৰ ঘৰলৈ যাব লগা দিনটো। আৰু দুদিনৰ পাছতে সন্ধ্যাহঁত যাব। তাৰ পিছদিনাই শিখাক পলুৱাই আনিব। সিদ্ধাৰ্থৰ এতিয়াও সম্পূৰ্ণ বিশ্বাস হোৱা নাছিল। এবাৰ সন্ধ্যাক সুধিলেও সি,

"অ' ৰুণ, তই সঁচাই পাৰিবিতো?"

"হেই, চিন্তাই নকৰিবা। একদম চিনেমা ষ্টাইলত পলুৱাই আনিম তোৰ হিৰোইনক।" সন্ধ্যাই হাঁহি মাৰি কয়।

"কেনেবাকৈ যদি ফচি যাঁৱ, মাহঁত আৰু পেহা পেহীয়ে শেষ কৰিব মোক।"

"আপুনি ছিল হৈ থাকক ধন দা। আমি বিন্দাছ কে আনিম।"

পখীয়ে প্ৰবোধ দিয়ে সিদ্ধাৰ্থক। সি মনে মনে ঈশ্বৰকে খাটে।

আজি কইনাৰ কাপোৰ কিনিবলৈ যোৱাৰ কথা। কাপোৰনো কি, অকল মেইন ছেটযোৰ আনিব। পাছত ভালকৈ দিব আৰু। এতিয়া মাত্ৰ বিয়াখনৰ বাবেহে। গহণাও সিদ্ধাৰ্থই দুই এপদ কিনিছিল। আজিকালি সোণৰো ৰেডিমেড কিনিবলৈ পাই বুলি সি সন্ধ্যাই কওঁতেহে গম পাইছিল। তাইৰ লগতে গৈ সিদিনা কিনি আনিলে। এতিয়া কাপোৰ যোৰ আনিলেই হ'ল আৰু।

"মইও যাওঁ নেকি।" কথাখিনি পাতি থাকোঁতেই সিহঁত যাব বুলি শুনি অভিমন্যুয়ে মাত দিলে।

"তই কিয় যাব লাগে আকৌ? কাপোৰহে কিনিম। মই আৰু ধন দা গ'লেই হ'ব।"

Kaushik

সন্ধ্যাই আপত্তি কৰাত অভিমন্যুয়ে আকৌ ক'লে,

"হাৰে একো নহয়। মই আৰু অনুৰণো গ'লে আমি মন্দিৰতো এডভান্স কিবা এটা দি আহিব পাৰিম কমিটীৰ লগত কথা পাতি।"

অনুৰণ যাব বুলি শুনি সন্ধ্যা মনে মনে ৰ'ল। এই কেইদিন এইবোৰ লৈ দৌৰা দৌৰি বুলিয়ে তাৰ লগত ভালকৈ কথা পতাও হোৱা নাই।

"ঠিক আছে। ওলা তহঁত দুটাও। তিনিটা বজাৰ বাছত যাম।"

সিদ্ধাৰ্থই কথাটো কৈয়ে উঠিল। সন্ধ্যাও হোষ্টেলৰ ফালে গৈছিলগৈ। অভিমন্যুয়ে মাত্ৰ হাঁহিৰে চাইছিল ময়ূঁৰলৈ। ময়ূঁৰে হাতটো মুঠি মাৰি বুঢ়া আঙুলিটো থিয় কৰি দেখুৱালে তাক।

দুপৰীয়া বাছত খোলা দিনত বৰ এটা ভিৰ নহয় যদিও সোনকালেই পালেহি সন্ধ্যা। নহ'লে কেনেবাকৈ ছিট নাপালে থিয় হৈয়ে যাব লাগিব। সিদ্ধাৰ্থৰ বাইকখন আকৌ প্ৰিয়ানুজ দাই কিবা কামত লৈ গ'ল। গতিকে বাছতেই যোৱাটো হ'ল। এনেই বন্ধ বাৰত এই সময়ত মানুহে নধৰা হৈ থাকিলহেঁতেন। এতিয়া বাৰু ছিট ৰখাবলগীয়াকৈ মানুহ নাই। তেনেই দুই এটা হে। কিন্তু সময় দি থোৱাৰ বাবে এটা মানুহ হ'লেও বাছ যাবই লাগিব। হালধীয়া বাছখনৰ কাষতে এজাৰ জোপা। ফুলথিনিয়ে গোটেই গছজোপা বেঙুনীয়া হেন কৰি তুলিছে। এই গছজোপায়েই ঠাইখিনি ছাঁ কৰি ৰাখে। সন্ধ্যাই খিৰিকীখন খুলি কাষৰ ছিটটোত বহি মূৰটো পেলাই দিছিল। মাজে মাজে দুই এচাটি পাতল বতাহ মাৰি আছে। এজাৰৰ পাহি উৰি আহে এটি দুটি। আকাশৰ নীলা, এজাৰৰ বেঙুনীয়া আৰু বাছৰ হালধীয়া ৰংটো ৰ'দ পৰি যেন ধুনীয়া কেনভাছ এখনৰ দৰে হৈ পৰিছে। পাতলীয়া বতাহ জাকত সন্ধ্যাৰ চিলমিলকৈ টোপনিয়ে আহিছিল। হঠাৎ কাৰোবাৰ মাতত সাৰ পালে,

"টোপনি গ'লা নি?"

চকু মেলি অনুৰণক দেখি এক মূহুৰ্তৰ বাবে ৰৈয়ে গৈছিল তাই। এই যে চকুহাল মেলিয়েই প্ৰিয়জনক সমুখত দেখাৰ অনুভৱটো, সপোন নে দিঠকৰ দোমোজাতে যায়। সন্ধ্যাই সৰুকৈ ক'লে,

"নাই, এনে অলপ। অভি আৰু ধন দা ক'ত?"

অনুৰণ তাইৰ কাষতে বহি লৈ কৈছিল,

kaushik

"পিছত আছে।"

সন্ধ্যাই এবাৰ ঘূৰি চালে। সিদ্ধাৰ্থই কিবা কথা কৈ আছে অভিমন্যুক। কিছু আঁতৰত বাবে সিহঁতৰ কাণত পৰাহি নাই। তাই চকু আঁতৰাই আনিলে। কিছু সময়ৰ পাছত চন্দ্ৰালী আৰু হিমাদ্ৰীও উঠিলহি। সিহঁত উকীলজনক লগ কৰিবলৈ যায় কিবা কথাত। গোটেই কেইটা একেলগে যোৱাত এনে লাগিছিল যেন সিহঁত সিদ্ধাৰ্থৰ কইনা আনিবলৈহে দৰা লগত গৈছে। অলপ পাছত ষ্টাৰ্ট দিলে বাছ। ছিট ফুল নহ'লেই। অভিমন্যুয়ে সকলোৰে শুনাকৈ বিহু এটা জুৰিলেই,

"আলহী হে যাম

নে দৰা সাজি যাম

নে দৰাৰ লগৰ সখীটো হে তোমাকে জোকাম"

পৰিৱেশটোৰে সঁচাকৈ বিয়া বিয়া অনুভৱ এটা দিছিল। অভিমন্যুৰ লগতে হিমাদ্ৰীয়েও গাই উঠিল,

"বৰমালা পিন্ধাম

নে ল'ম হাতত হেংদাং

নে দৰাৰ লগত বহি বহি আথৈ দিয়া চাম"

বাছত বাকী যি এটা দুটা মানুহ আছিল তেওঁলোকে একো বুজি নাপালেওঁ পৰিৱেশটো খুব উপভোগ কৰিছিল হাত চাপৰি বজায়। এইফালে সিদ্ধাৰ্থৰ লাজত অৱস্থা নাই।

"ঐ, পাগল হ'লি নেকি তহঁত গোটেই গাল?"

সিদ্ধাৰ্থই দবিয়াই উঠিল।

"আই ঐ, আমাৰ দৰাৰ লাজ চোৱা।"

চন্দ্ৰালীৰ কথাত গোটেই কেইটাই জোৰকৈ হাঁহি উঠিল।

বাছখন গৈ আছে। তাৰ মাজতে এবাৰ অনুৰণে মুখখন সন্ধ্যাৰ কাণৰ কাষলৈ আনি সৰু মাতেৰে গানটোৰ পিছৰ কণ গালে,

"কেনে বাৰু লাগিব জান হোমৰ গুৰিত বহি?"

Kaushik

আগতেও অনুৰণে এবাৰ সন্ধ্যাৰ ওচৰত গান গাইছিল বাবে তাই আচৰিত নহ'ল। বৰঞ্চ মাতটো সৰু কৰি সন্ধ্যাই গালে,

"কঁপিবনে হিয়া তোমাৰ চকুত চকু পৰি?"

পিছৰখিনি নাগাই হাঁহি পেলালে অনুৰণে। সন্ধ্যাইও। খিলখিলিয়া হাঁহিত চুলিখিনি চকুৰ আগলৈ আহিছিল তাইৰ। বাহখন আগবাঢ়িল টাউনৰ ফালে।

"ৰণ" সন্ধ্যাই মাজতে এবাৰ মাতিলে অনুৰণক।

"কোৱা"

"মই বাৰু কিবা ভুল কৰিছোঁ নেকি?"

"ভুল? মানে?" অনুৰণে বুজি পোৱা নাছিল।

"মানে শিখা বাৰ মাক দেউতাকহঁতে চাগে কিমান আশাৰে তাইৰ বিয়া ঠিক কৰিছে। মই যে তেওঁলোকৰ আশা ভাঙিবলৈ ওলাইছোঁ।"

অনুৰণে তাৰ শান্ত মাতটোৰে ক'লে,

"কাৰোবাৰ বুকুখন দুফাল কৰি কিবা বিচৰাটো আশা বুলি নকয় সন্ধ্যা। কাৰোবাৰ ইচ্ছাক, ভালপোৱাক ভৰিৰে মোহাৰি নিজে ভালপোৱা কাম এটা কৰিবলৈ ওলোৱাটো আশা নহয়, জেদ হে। আৰু জেদ কৰিলে এদিন নহয় এদিন ভঙা যাবই। হয় নিজে নিজে ভাঙিব নহ'লে আন কোনোবাই। শিখা বাহঁতৰ মাক দেউতাকক সকলোৱে বুজাই চালে। শিখা বাই, সিদ্ধাৰ্থ দাই, তাৰ ঘৰৰ মানুহ চবেই। কিন্তু তেওঁলোকে নিজৰ জেদটো এৰিলে জানো? প্ৰেম বিবাহ নামানো, এইটোৰ বাহিৰে বেলেগ যুক্তিও নাই তেওঁলোকৰ সিদ্ধাৰ্থ দাক ৰিজেক্ট কৰাৰ।"

অনুৰণৰ বুজনিত মনত থকা অনুতাপখিনিও নোহোৱা হৈছিল সন্ধ্যাৰ। মাত্ৰ ক'ৰবাত ভয় এটা আছিল, কেনেবাকৈ যদি তাই সফল নহয়।

"যদি কিবা কাৰণত ধৰা পৰি যাওঁ, কিবা যদি ঘটনা হয়, কি হ'ব?"

অনুৰণে এইবাৰ তাইৰ হাতত নিজৰ হাতখন থৈ ক'লে,

"মই আছোঁতো।"

kaushik

আৰু একো নালাগে সন্ধ্যাক। মাত্ৰ এইষাৰ কথাত ভৰষা কৰিয়ে গোটেই পৃথিৱীৰ লগতে যুঁজিব পাৰিব তাই। পৰম প্ৰশান্তিত চকুহাল মুদি দিলে সন্ধ্যাই। অনুৰণে হাতখন ধৰিয়ে আছিল। তাইও মুঠি মাৰি ধৰিছিল তাৰ হাতখন।

"কেনেকুৱা ধুনীয়া লাগিছে কাপোৰযোৰ। তোৰ চইছ কিন্তু মানিছোঁ দেই সন্ধ্যা।"

কইনালৈ কিনি অনা কাপোৰযোৰ দেখি পখী আৰু জুৰিয়ে সন্ধ্যাক শলাগি ততেই পোৱা নাই। সঁচাই বৰ ধুনীয়া আছিল কাপোৰ সাজ। বগা গুণা কৰা পাটৰ কাপোৰ। মাজে মাজে সৰু সৰু ৰঙা ফুল। কাপোৰযোৰ সন্ধ্যাই যোৱাৰ আগত জুৰিৰ হাততে দি যাব। লগতে অলংকাৰ কেইপদো। শিখা বাক লৈ আনি পিন্ধাব লাগিব। কথাৰ মাজতে ফোনটো বাজিল সন্ধ্যাৰ। সিদ্ধাৰ্থই কৰিছে। তাই কাণত ল'লে,

"অঁ ধন দা, কচোন।"

সি একো মাত দিয়া নাই। সন্ধ্যাই ফোনটো কাণতে লৈ বিচনাৰ পৰা উঠিল। এটা হাতেৰে কাপোৰ সাজ জাপিবলৈ লৈছে।

"শি---শিখাই---"

মাতটো যেন কঁপি উঠিছে সিদ্ধাৰ্থৰ। কিবা অজান আশংকাত বুকুখন কঁপিছে সন্ধ্যাৰো। তাই আকৌ সুধিলে,

"কি, কি হৈছে শিখা বাৰ?"

"ত--তাই বিহ খাই---"

আৰু একো ক'ব নোৱাৰিলে সিদ্ধাৰ্থই। কান্দোনত ভাঙি পৰিল সি। থিয় হৈ থকা সন্ধ্যাৰ হাতৰ পৰা খহি পৰিল কইনাৰ পাটৰ কাপোৰ সাজ।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 92

"সন্ধ্যা, কইনালৈ লোৰা কাপোৰ মাটিত পেলাব নাপাই, অমংগল হয় বোলে।"

পাটৰ কাপোৰ সাজ হাতৰ পৰা খহি পৰা দেখি জুৰিয়ে সন্ধ্যাক ক'লে। কিন্তু সন্ধ্যাই লৰচৰ নকৰি তাতেই ৰৈ গ'ল ৱাৰড্ৰৱটোত ভেঁজা দি। কিবা এটা সন্দেহ কৰি পখী আগুৱাই গ'ল।

"সন্ধ্যা, ঐ সন্ধ্যা। কি হৈছে কচোন। কি ক'লে সিদ্ধাৰ্থ দাই?"

মুখেৰে একো মতা নাই সন্ধ্যাই। মাত্ৰ চকু পানী বৈ আহিছে তাইৰ। এইবাৰ জুৰিয়ে জোকাৰি দিলে তাইক,

"আৰে একো নকঁৱ কিয়? কি হ'ল?"

"শিখা বা---" সন্ধ্যাৰ যেন মুখখনত কিহবাই সোপা দি ধৰিছে।

"অঁ, কি হৈছে শিখা বাৰ?" পখীয়ে আকৌ সুধিলে।

"শিখা বাই চুইচা--"

সন্ধ্যাৰ কৈ নহওঁতেই জুৰিয়ে চিঞৰি উঠিল,

"পাগল হৈছ নেকি তই? কি কৈছ এইবোৰ? ভুল শুনিছ চাগে কিবা। নহ'লে, নহ'লে এই অভিমন্যুহঁতে কিবা ধেমালি কৰিছে।"

সন্ধ্যাই এইবাৰ শব্দ কৰি কান্দিলে,

"শিখা বা----"

থিয়ৰ পৰা কান্দি কান্দি পৰি যাবলৈ ধৰা সন্ধ্যাক আঁকোৱালি ধৰি বিচনাত বহালে পখীয়ে,

"ৰচোন। ইমান অধৈৰ্য নহ'বি। কথাটো কোনে ক'লেনো? মিছাওতো হ'ব পাৰে।"

"ৰচোন মই অভিমন্যুলৈ ফোন কৰোঁ।"

বুলি জুৰিয়ে অভিমন্যুলৈ ফোন লগালে।

শৰাইঘাটৰ কোঠাটোত কান্দোনত ভাঙি পৰিছে সিদ্ধাৰ্থ। প্ৰিয়ানুজ, অভিমন্যু, অনুৰণ আৰু দীপকে আগুৰি আছে তাক। অভিমন্যুয়ে সাৱটি ধৰি বুজাই আছে,

Kaushik

"অলপ ধৈৰ্য ধৰকচোন সিদ্ধাৰ্থ দা। সকলো ঠিক হ'ব। আকৌ এবাৰ নহ'লে---"

"তাই মোৰ কাৰণে নিজৰ জীৱনটো শেষ কৰি পেলালে অ'। মই ধ্বংস কৰিলোঁ তাইক। কিয় ভাল পাইছিলি মোক শিখা। কিয়?"

সিদ্ধাৰ্থই অহৰহ কান্দি আছে। কোনেও পৰা নাই বুজাব। এনেতে অভিমন্যুৰ ফোনটো বজাত সি ফোনটো লৈ সিদ্ধাৰ্থৰ ওচৰৰ পৰা উঠি আহিল। প্ৰিয়ানুজ সেইখিনিত বহি লৈ সিদ্ধাৰ্থক বুজাবলৈ লাগিল,

"ইমান দুৰ্বল হ'লে নহ'ব সিদ্ধাৰ্থ দা।"

"অঁ জুৰি ক।" অভিমন্যুয়ে কাণত ফোনটো লৈ ক'লে।

"অভিমন্যু, কি শুনিছোঁ এইবোৰ? সঁচাকৈ নে তহঁতে ফটুৱামি কৰিছ?" জুৰিৰ যেন কথাটো সোধোঁতেও মাতটো কঁপি গৈছে।

"ফটুৱামি নহয় জুৰি। সঁচাকৈ।"

"তহঁতে ক'ত খবৰ পালি?"

"শিখা বাহঁত গাঁৱৰ ল'ৰা এটাই সিদ্ধাৰ্থ দালৈ ফোন কৰিছে। তাইক তেজপুৰলৈ আনি ইয়াৰ বি কে মেমৰিয়েলত ভৰ্তি কৰিছে হেনো। কণ্ডিচন বেয়া।"

Kaushik

জুৰিয়ে ফোনটো লাউডত দি থৈছিল। অভিমন্যুৰ কথা শুনি পথীয়ে সন্ধ্যাক ক'লে,

"সন্ধ্যা, বি কে মেমৰিয়েলত তহঁতৰ কোনোবা বৰ্তাৰ ছোৱালী এজনী আছিল যে, এতিয়া আছে নে?"

সন্ধ্যাৰ এতিয়াহে মনত পৰিল। হয়তো, ৰমেন বৰতাৰ ছোৱালী চুমু বা সেইখন নাৰ্চিংহোমৰে নাৰ্চ।

"অঁ অঁ, আছে। চুমু বা। মই ফোন কৰোঁ ৰ তাইলে।" বুলি সন্ধ্যাই বিচনাৰ পৰা উঠি ফোনটো ল'লে। জুৰিয়ে অভিমন্যুক ক'লে,

"ঐ অভিমন্যু, সন্ধ্যাহঁতৰ কোনোবা চিনাকি আছে ৰ তাত। তাই ফোন কৰি খবৰ ল'ব। এটা কাম কৰ তহঁত Essential লৈ আহ।"

"Essential নালাগে, বহুত মানুহ থাকে তাত। কমিনিউনিটী হললৈ আহ। আমি ওলাই গৈছোঁ।" বুলি অভিমন্যুয়ে ফোনটো কাটি সিদ্ধাৰ্থহঁতক খবৰটো দিলেহি,

"সন্ধ্যাহঁতৰ কোনোবা চিনাকি মানুহ আছে সেইখন নাৰ্চিংহোমতে। তাই ফোন কৰি খবৰটো ল'ব। আমি কমিউনিটী হল যাওঁ ব'লক। তাতে লগ পাম চবকে।"

"কি লাভ আছে এইবোৰ খবৰ লৈ?"

কন্দামুৱা হৈ কোৱা সিদ্ধাৰ্থৰ কথাত প্ৰিয়ানুজে আকৌ বুজালে,

"ইমান নিগেটিভ কিয় হৈছে আপুনি। ব'লকচোন। ভগৱান আছে নহয়।"

তাৰ পিছতেই গোটেই কেইটাই জোৰ কৰি সিদ্ধাৰ্থক লৈ আহিল।

"নটা বাজিল দেই। এতিয়া আকৌ ক'লৈ যাবলে হ'ল?"

সোৱণশিৰীৰ গেটখন পাৰ হওঁতেই চিকিউৰিটী মাহীৰ কথাটো কাণত পৰিল সন্ধ্যাহঁতৰ। এনেই সকলোৰে চিন্তা। তাৰ মাজত মাহীৰ কঠোৰ মাতত সিহঁতৰ খং উঠিছিল যদিও একো নক'লে। কিন্তু এইবোৰত পথীয়ে ধৈৰ্য ধৰিব নোৱাৰে। সেয়ে তাই আগবাঢ়ি গৈ ক'লে,

"ইন টাইম নটাত নহয়, চাৰে নটাত হে। মূৰ্খ নহয় আমি।"

সন্ধ্যাইও বাধা নিদিলে পথীক। ওলাওঁতে সোমাওঁতে ছোৱালী কেইজনীক একাষাৰ শুনাই থকাটো কেইজনী মান ছিকিউৰিটীৰ এটা স্বভাৱত পৰিণত হৈছে। মালতী মাহী থাকিলে এইবোৰ ক'বলে সাহ নাপায়। তেওঁ নথকাৰ সুযোগ লৈ মাজে মাজে এওঁলোকে ছোৱালীবোৰ খোঁচ মাৰিবলৈ নেৰে। আজিও পথীৰ কথাটো শুনি এজনী মাহী চোঁ মাৰি আহিলেই,

"আধা ঘণ্টাতনো কাৰ মূৰটো কৰিবলৈ যোৱা?"

এইবাৰ সন্ধ্যাৰ সহ্য নহ'ল। আগবাঢ়ি গৈ গৰজি উঠিল তাই,

"যাৰ মূৰটোৱেই কৰিবলৈ নাযাওঁ, সুধিবলৈ আপুনি কোন? কিবা যদি ভুল কৰোঁ, সুধিবলৈ ৱাৰ্ডেন আছে। আপোনালোকক ইয়াত আমাক জেৰা কৰিবলৈ ৰাখিছে নেকি?"

মাহীজনীয়ে সপোনতো ভবা নাছিল যে সন্ধ্যাই এনেকৈ ক'ব। মুখ ৰঙা পেলাই তেওঁ ভিতৰলৈ সোমাই গ'ল। সন্ধ্যাহঁত দৌৰা দৌৰিকৈ কমিউনিটী হল পালেগৈ। তাত আগৰ পৰাই সিদ্ধাৰ্থহঁত আছিলেই। হলটোৰ ষ্টেপকেইটাতে বহি আছে সিদ্ধাৰ্থ আৰু প্ৰিয়ানুজ।

Kaushik

অনুৰণে খুটা এটাত আওঁজি ৰৈ আছিল। অভিমন্যু আৰু দীপকে খালী হলটোতে খোজকাঢ়ি আছে ইফালৰ পৰা সিফাললৈ। সন্ধ্যাহঁত গৈ পোৱাৰ লগে লগে গোটেই কেইটা ওচৰ চাপি আহিল। চবেই শুনাকৈ সন্ধ্যাই সিদ্ধাৰ্থক ক'লে,

"কোন মূৰ্খই খবৰ দিছে তোক এইবোৰ হা? একো বিহ খোৱা নাই শিখা বাই। কেইদিনমানৰ পৰা তাই ভালকৈ ভাত চাত একো খোৱা নাছিল। জোৰ কৰিলে কেইগৰাহমান খায়। সেইবাবে মানুহজনী দুৰ্বল হৈ গ'ল আৰু আজি মাথা ঘূৰাই পৰিলে। তাৰ পাছতে মাকহঁতে ভয় খাই তেজপুৰলৈকে লৈ আনিলে। এতিয়া চেলাইন দি থৈছে। আজি ৰাখি কাইলৈ ৰিলিজেই দিব।"

"কি?"

চকুপানী সৰিছিল সিদ্ধাৰ্থৰ। হাতযোৰ কৰি সি বুকুত লগাইছিল। অন্তৰৰ পৰা ধন্যবাদ দিছিল ঈশ্বৰক। স্বস্তিৰ নিশ্বাস এৰিছিল সকলোৱে। অভিমন্যুয়ে আঁকোৱালি ধৰিছিল সিদ্ধাৰ্থক। সন্ধ্যাই আকৌ ক'লে,

"আৰু এটা ভাল খবৰ। কাইলৈ মই বি কে মেমৰিয়েললৈ যাম। আৰু সুবিধা পালে চুমু বায়ে শিখা বাৰ লগত মোক কথাও পতাই দিব। তেতিয়া তাইক আমাৰ গোটেই প্লেনটো ক'ম।"

"নেলাগে অ' আই নেলাগে। এনেই এইখন বিয়াত ইটোৰ পিছত সিটো কলি লাগিয়ে আছে। আকৌ তাত লগ কৰিবলৈ গৈ কলি লগাব নেলাগে।"

দীপকৰ কথাত হাঁহি মাৰি সন্ধ্যাই ক'লে,

"একদম চিন্তা নকৰিব দীপক দা। পূৰা হিন্দী চিৰিয়েলৰ কায়দাত লগ কৰিমগৈ শিখা বাক।"

"ঠিক আছে আমি গৈ থাকোঁ। ইন টাইম হ'ব এতিয়া।" জুৰিয়ে মনত পেলাই দিয়াত সন্ধ্যাই সিদ্ধাৰ্থৰ কাষ চাপি ক'লে,

"এতিয়া আৰু তই টেনশ্যন লৈ থাকিব নালাগে। আৰামচে শুই যা। কাইলৈ ৰাতিপুৱাই তইয়ে মইয়ে বাইকতে গুছি যাম।"

Kaushik

সিদ্ধাৰ্থই মূৰ দুপিয়ালে। সন্ধ্যাকে ধৰি বাকী ছোৱালীকেইজনী হোষ্টেলৰ ফালে গ'ল গৈ। ল'ৰাকেইটাও সিদ্ধাৰ্থৰ ৰুম পালেহি। পাৰ হৈ যোৱা সময়খিনি যে কি ভয়ানক অনুভৱত পাৰ কৰিছিল সিহঁতে। এতিয়া আকৌ আগৰ উছাহবোৰ ঘূৰি আহিছে।

বি কে মেমৰিয়েলৰ প্ৰথম মহলাৰ এটা কেবিনত শুই আছে শিখা। চকুত তেতিয়াও পানী। চেলাইন দি থোৱা আছে। বিচনাৰ কাষতে মাক। ইখন বিচনাত মোমায়েক।

"এইবোৰ ভাওনা বহুত হ'ল আৰু মাইনী। কিমান দিনৰ পৰা কৈ আছোঁ, হেৰৌ ভাত কেইটা সৰহকৈ খা। সমুখত বিয়াখন আছে। নাই, তাইৰ কথাত কাণসাৰ নাই।"

মাকে কৈ গৈছে অহৰহ। কিন্তু শিখা যেন এক জীৱন্ত মৰাশ। একেথৰে ৰুমটোৰ এচুকলৈ চাই ৰৈ আছে।

"মাৰে ঠিকেই কৈছে মাইনী। এইবোৰ কেঁচুৱামি এৰা। ইউনিভাৰ্চিটী প্ৰেম চেম হয়েই। সেইবুলি বিয়া হ'বই লাগিব যে ক'ত লিখা আছে। পঢ়ি থকা ল'ৰা এটাৰ কাৰণে ইমান ভাল চাকৰিৰ দৰাটোক যাবলে দিবি নেকি?"

মোমায়েকৰ কথাত হয়ভৰ দি মাকে আকৌ ক'লে,

"মইতো তাকেই বুজাই আছোঁ। বিয়াৰ পাছত ভৰিৰ ওপৰত ভৰি তুলি খাব পাৰিবি। সেই বেকাৰটোলে গৈ---"

মাকৰ কথাখিনি শেষ নহওঁতেই দুৱাৰ ঠেলি নাৰ্চ এজনী সোমাই আহিল,

"এক্সকিউজ মি, অলপ ওলাই দিব নেকি আপোনালোক। সৰু টেষ্ট এটা আছিল। ওলাই দিলে ভাল হয়।"

নাৰ্চজনীৰ হাতত বেজী আৰু কিবা মেডিচিনৰ থাল এখন আৰু মুখত মাস্ক। একো প্ৰতিবাদ নকৰি শিখাৰ মাক আৰু মোমায়েক ওলাই গ'ল। দুদিন পাছত শিখাৰ আঙুঠি পিন্ধোৱা। যি টেষ্ট কৰিব লগা আছে কৰি সোনকালে ভাল হ'ব লাগে মুঠতে। মাকহঁত ওলাই যোৱাৰ পাছতে দুৱাৰখনৰ হুকটো মাৰি নাৰ্চজনীয়ে গুণগুণালে,

"দেহা ঐ আহিম মই দৰা সাজি,

তোমাক ঐ নিম দোলাতে তুলি।"

Kaushik

মাতটো চিনাকি যেন লগাত শিখাই নাৰ্চজনীলৈ চাই সুধিলে,

"কোন তুমি?"

নাৰ্চজনীয়ে মাস্কখনত খোলাত শিখাই প্ৰায় চিঞৰি উঠিল,

"ৰুণজু---ন!"

"চু---" মুখত আঙুলি দি সন্ধ্যা আহি শিখাৰ কাষত বহিলহি। শিখাই তাইক আকোঁৱালি ধৰিলে। অথনিৰে পৰা ৰখাই থোৱা কান্দোনখিনি যেন ওলাই আহিল। কান্দি কান্দিয়ে সুধিলে তাই,

"সিদ্ধাৰ্থ কেনে আছে?"

"চব ঠিকে আছে। তুমিহে ভয় খোৱাই দিছিলা। এতিয়া মোৰ কথা মন দি শুনা।"

বুলি সন্ধ্যাই যিমান পাৰি চমুকৈ সিহঁতৰ পৰিকল্পনাৰ কথাখিনি ক'লে। শিখাৰ চকুকেইটা বাৰে বাৰে উজলি উঠিছিল। কিবা এক উৎকণ্ঠাত বুকুখনো কঁপিছিল।

"হ'বতো?" কথাখিনি কৈ সন্ধ্যাই সুধিলে।

শিখাই যেন নিজৰ কাণকে বিশ্বাস কৰিব পৰা নাই। তাইতো সকলো আশা এৰিয়ে দিছিল। কিন্তু এতিয়া হঠাৎ এইবোৰ শুনি কি ক'ব ভাবি পোৱা নাছিল। ভয়ো লাগিছিল তাইৰ। সেয়ে সুধিলে,

"কিন্তু যদি ধৰা পৰোঁ?"

"অলপতো ৰিস্ক ল'বই লাগিব বা। ইমান নাভাবিবা। চব ভালে ভালে যাব।"

শিখাই এইবাৰ চকুপানী মচি ল'লে। সন্ধ্যাই নাৰ্চৰ সাজযোৰৰ পকেটৰ পৰা মোবাইলটো উলিয়াই সিদ্ধাৰ্থলৈ ফোন লগাই শিখাক দিলে। কঁপা কঁপা মাতেৰে শিখাই ক'লে,

"ভালে আছে?"

"ঐ বেঙী। বেমাৰ কিয় কৰি লৈছ কচোন। বিয়া হ'বলে মন নাই নেকি মোলে? অলপ ভালকৈ খাবি।"

সিদ্ধাৰ্থৰ মাতটো শুনি চকুপানী বৈ আহিছিল শিখাৰ।

"আজিৰ পৰা থাম।" তাই ক'লে।

kaushik

সন্ধ্যাৰো চকুপানী ওলাইছিল। ফোনটো আকৌ পকেটত ভৰাই সন্ধ্যা যাবলৈ ওলাল। মুখত মাস্কখন পিন্ধি লৈ দুৱাৰখন খুলি দিওঁতেই শিখাৰ মাকহঁত সোমাই আহিল।

"আই এম এক্সট্ৰিমলি ছৰী। এক্সোৰেলী মই ইটো ৰুমত যাব লাগিছিল। ভুলতে ইয়ালে আহিলোঁ। পেচেন্টৰ লগত কথা পাতিহে গম পালোঁ। প্লিজ আপোনালোকে ডাক্তৰ ছাৰক নক'ব। নহ'লে মোক চাকৰিৰ পৰাই উলিয়াব।"

কন্দামুৱা হৈ সন্ধ্যাই শিখাৰ মাকহঁতক কৈছিল। মাকৰ খং উঠিছিল যদিও নাৰ্চজনীৰ কন্দাৰ সুৰটো শুনিয়ে ক'লে,

"হ'ব নকওঁ বাৰু। অলপ সাৱধান হ'ব লাগে আকৌ।"

"ধন্যবাদ বাইদেউ। বহুত ধন্যবাদ।"

বুলি সন্ধ্যা ওলাই গ'ল। শিখাই মুখ টিপি হাঁহি মুখৰ ভিতৰতে ক'লে,

"নৌটংকী জনী।"

সন্ধ্যা বাহিৰে বাহিৰে প্ৰথম মহলাৰ ড্ৰেচিং ৰুমৰ কাষৰ বাথৰুমটো পালেগৈ। "মই সন্ধ্যা" বুলি কোৱাত দুৱাৰখন খুলি দিলে ভিতৰৰ পৰা।

"চুমু বা, থেংক ইউ চ' মাচ্ছ। তই বহুত ডাঙৰ হেল্প কৰিলি আজি।"

বাথৰুমত সন্ধ্যাৰ কাপোৰ যোৰ পিন্ধি অথনিৰ পৰা সোমাই থকা বৰদেউতাকৰ ছোৱালী চুমুক সাৱট মাৰি ক'লে সন্ধ্যাৰে।

"হ'ব দে। এতিয়া সোনকাল কৰ।" চুমুৱে হাঁহিলে। লগে লগে দুইজনীয়ে আকৌ কাপোৰবোৰ সলাই ল'লে। সন্ধ্যা খৰখেদাকৈ আহি তল পালেহি। তলত সিদ্ধাৰ্থ ৰৈয়ে আছিল।

"তোক মানিছোঁ দেই। ক'ত পাঁৱ এইবোৰ বুদ্ধি?"

সন্ধ্যাক দেখিয়ে সিদ্ধাৰ্থই সুধিলে। তাই হাঁহি হাঁহি ক'লে,

"হিন্দী চিৰিয়েল চোৱাৰ লাভ এইবোৰ বুইছ। ব'ল এতিয়া।"

সিদ্ধাৰ্থই বাইক ঘূৰালে। সিহঁত ইউনিভাৰ্চিটীলৈ উভতি আহিল।

Kaushik

কাইলৈ সন্ধ্যাহঁত শিখাৰ ঘৰলৈ যাব। সিদ্ধাৰ্থৰ চকুত যেন টোপনি নাই। সকলোকে দেখুৱাই হাঁহি মাতি আছে যদিও সন্ধ্যাৰ বুকুখনো দুৰু দুৰু কঁপি আছিল। চন্দ্ৰালী, হিমাদ্ৰী ইফালে দীপক, প্ৰিয়ানুজ কাৰো মুখত যেন পানী নাই। কি হ'ব কি নহ'ব ভয়ত মুখ শুকাই আছে সকলোৰে। একেবাৰে বিন্দাছ হৈ আছে যদি পথী আৰু অভিমন্যু। সিহঁত এনেও এইবোৰ কামত উস্তাদ। গতিকে এইটো সিহঁতৰ বাবে যেন এক অভিযানহে আছিল। সকলোৰে ভয়বোৰ গুছাবৰ বাবেই অভিমন্যুয়ে এবাৰ গোটেইকেইটাক ডিপাৰ্টমেন্টলৈকে মাতিলে। এতিয়া সন্ধিয়াৰ সময়ত একেবাৰে মানুহ নথকা ঠাই ডিপাৰ্টমেন্টেই অকল। গোটেই কেইটা গোট খোৱাৰ পাছত সন্ধ্যাই এটা এটাকৈ চব কথাৰ খবৰ ল'লে। পুৰোহিতৰ পৰা উকীললৈকে, কইনাৰ বাবে লগা কাপোৰ গহণাৰ পৰা হোমৰ সামগ্ৰীলৈকে সকলো এবাৰ এবাৰ সুধি তাই আকৌ সিহঁতৰ প্লেনটো সকলোকে শুনাই ক'লে। শিখাহঁতৰ ঘৰলৈ সোমোৱা চাৰিআলিটোৰ মূৰতে অনুৰণে গাড়ী ৰখাই থ'ব। আনহাতে শিখাহঁতৰ ঘৰৰ সমুখত বাইকত অভিমন্যু ৰৈ থাকিব। এইফালে শিখা আৰু সন্ধ্যা গাড়ীত বহাৰ ইংগিত পোৱাৰ লগে লগে পথী আহি অভিমন্যুৰ বাইকত উঠিবহি। অনুৰণে গাড়ী বাহিৰে তেজপুৰৰ কৰ্টলৈ নিব। তাতে উকীলৰ সৈতে চন্দ্ৰালী আৰু হিমাদ্ৰী থাকিব। তাত সকলোখিনি কৰি চব ইউনিভাৰ্চিটীলৈ যাব। তাতেই শিখা আৰু সিদ্ধাৰ্থক দৰা কইনাৰ ৰূপত সজাই মহাভৈৰৱলৈ লৈ যোৱা হ'ব। মহাভৈৰৱত প্ৰিয়ানুজ, ময়ূঁৰ আৰু দীপকে বকুল দাকো লগত লৈ সকলো আয়োজন সাজু কৰি থ'ব। গৈয়েই বিয়া আৰম্ভ। অৰ্থাৎ তিনি ঠাইত তিনিটা পাৰ্টী থাকি কামবোৰ কৰি যাব।

"চব ঠিক হৈয়ে আছে যেতিয়া দৰাই কিবা এটা খোৱাব লাগে আৰু দেই।"

অভিমন্যুৰ কথাত সিদ্ধাৰ্থই দীপকক এমিনিটীৰ পৰা চিংৰা আৰু পেটিছ আনিবলৈ দিলে। খাই থাকোঁতেই এবাৰ ভয়বোৰ গুচক বুলিয়ে সন্ধ্যাই অভিমন্যুয়ে লৈ অনা ব্লু টুথ স্পীকাৰটোত গানটো লগাই দিলে,

"শিৰতে সেঁন্দূৰ লৈ মূৰতে উৰণি,

গাত পাটৰে সাজ পিন্ধি কইনা সাজি।"

সকলো যেন ৰৈহে আছিল। নাচ আৰম্ভ কৰিয়ে দিলে। হিমাদ্ৰীয়েও চন্দ্ৰালীক টানি আনি নাচিবলৈ লাগিল,

"উদুলি মুদুলি হ'ব ৰভাতলী,

ঢোলে দগৰে ঐ বাজিব গধূলি।"

সন্ধ্যা আৰু অভিমন্যুয়ে বহি থকা সিদ্ধাৰ্থকো টানি টানি আনিলে,

"দেহা ঐ, আহিবা দৰা সাজি

কোনে ঐ, তুলিব সুৱাগুৰি"

নাচি নাচি মনত থকা ভয়বোৰ জোকাৰি পেলাইছিল সিহঁতে। সকলো ভাল হোৱাৰ আশা লৈ হোষ্টেললৈ ঘূৰিছিল।

পিছদিনা ক্লাছ কৰিয়ে সন্ধ্যা আৰু পখী বাছত উঠিল গৈ। সিদ্ধাৰ্থহঁতেও গৈ মিছনলৈকে আগবঢ়াই দিলে সিহঁতক। যোৱাৰ সময়ত দীপকে ভাল জমাইছিল,

"এহিমতে শিখা হৰণ নাটৰ শুভাৰম্ভ হৈল।"

"ঐ, দীপক। তোলৈও এনেকৈয়ে ছোৱালী আনিম বুইছ।" পখীয়ে হাঁহি হাঁহি কৈছিল।

দীপকে ভেকাহি মাৰিলে,

"মৰতী জনী, তয়েই যাবি তেনেকে।"

হাঁহিবোৰে মনৰ ভয়বোৰ কমাইছিল সিহঁতৰ।

প্ৰিয়ানুজে চিপচ আৰু কিবা কিবি কিনি দি পঠালে। সকলোৱে যিমান পাৰে উপদেশ দিছিল। এবাৰ সুযোগ বুজি অনুৰণে সন্ধ্যাৰ ওচৰ চাপি ক'লে,

"ভালকৈ থাকিবা। খবৰ চব দি থাকিবা। কিবা প্ৰব্লেম হ'লে মিচকল এটা হ'লেও দিবা। ৰাতি দেৰিকৈ হ'লেও গুছি যাম।"

"ঠিক আছে" বুলি মিচিকিয়াইছিল সন্ধ্যাই।

প্ৰায় ডেৰ ঘণ্টাৰ মূৰত বিশ্বনাথ চাৰিআলি পালেগৈ সন্ধ্যাহঁত। এইখিনিলৈকে সন্ধ্যাহঁতৰ চিনাকিয়েই। নিজৰ ঠাই। ইয়াৰ পৰা খালী অলপ সোমাব লাগে। সিদ্ধাৰ্থই ফোনত দি থকা দিহা মতে সিহঁত গৈ শিখাহঁতৰ ঘৰ ওলালগৈ।

"অল দা বেষ্ট, ফোন কৰি জনাবি।" সিদ্ধাৰ্থ কথাটো কৈ ফোনটো কাটিলে। পখী আৰু সন্ধ্যা সোমাই গ'ল নঙলা খুলি। ঘাঁহৰ বহল চোতাল খনৰ সৈতে এখন ধুনীয়া

Kaushik

অসমীয়া ঘৰ। চোতালৰ এচুকত ইটা অলপ দমাই থৈছে। ঘৰটোৰ দুইফালে দুজোপা গছ। পৰিৱেশটো বৰ ভাল লাগিল সন্ধ্যাহঁতৰ। চাৰিওফালে সেউজীয়া। চোতালতেই কোনোবা বোৱাৰী এগৰাকী আছিল। সন্ধ্যাহঁতক দেখা পাই ওচৰ চাপি আহিল। প্ৰথমে সন্ধ্যায়েই ক'লে,

"এইটো শিখাহঁতৰ ঘৰ হয় নে?"

"অঁ অঁ। হয়। মই তাইৰ খুৰীয়েক। আহাচোন।" বুলি ভিতৰলৈ মাতি নিলে সিহঁতক। বুকুখন কঁপি আছিল পাতলকৈ সন্ধ্যাৰ। কম মাৰাত্মক কাম এটা কৰিবলৈ লৈছে নে সিহঁতে।

"তোমালোক--?"

শিখাহঁতৰ সমুখৰ ৰুমৰ চোফাকেইখনত বহোঁতেই ভিতৰৰ পৰা মাক ওলাই আহি সুধিলে। সন্ধ্যা অলপ অপ্ৰস্তুত হ'ল। কেনেবাকৈ তাইক মাকে চিনি নাপাইতো! পখীয়ে বুজি পাই তাইয়ে মাত লগালে,

"উৱাই, বৰমাই আমাক পাহৰিলেই দেখিছু? মই উত্তৰ চাৰিআলিৰ লাহৰী আকৌ। এইজনী ৰূপহী। শিখাৰ লগত একেলগে পঢ়া নহয় নেকি কলেজত?"

বৰ জোৰকৈ ওলাই আহিব খুজিছিল সন্ধ্যাৰ হাঁহিটো। যেনে তেনে ৰখাইছে। এই পাগলীজনীয়ে নামো পাইছেগৈ চাচোন। এইসোপা একো প্লেন নাছিলেই। আমাৰ পখী বাইদেউৰ অন স্পট প্লেন।

"অঁ অঁ, বুজিছোঁ। আমাৰ মাইনীৰ লগৰ। মই বোলো আকৌ ইউনিভাৰ্চিটিৰ--"

মাকৰ কৈ নহওঁতেই পখীয়ে আকৌ ক'লে,

"কি যে কয় বৰমা, ইমান চোকা হোৱা হ'লে ভালেই আছিল। আমিও ইউনিভাৰ্চিটিত পঢ়ি মেমনি হ'লোহেঁতেন।"

আকৌ কষ্টেৰে হাঁহি ৰখালে সন্ধ্যাই। এই পখীয়ে আৰু কি ভাওনা কৰে ঠিক নাই। সেইবাবে এইবাৰ তাইয়ে মাত দিলে,

"বৰমা, শিখা ক'ত? তাইৰ আঙুঠি পিন্ধোৱাত নো আমি নাথাকিম নে? সেইবাবেই গুচি আহিলোঁ।"

"পিছে তোমালোকে ক'ত গম পালা শিখাৰ আঙুঠি পিন্ধোৱা বুলি?" খুৰীয়েকে সুধিলে।

Kaushik

শেষ, এইবাৰহে মুখৰ মাত হৰিল সন্ধ্যা আৰু পথীৰ। কি বুলি ক'ব এতিয়া বাৰু? ছেহ, এইবোৰ সুধি দিব বুলি ভবাই নহ'ল নহয়। কি কওঁ নকওঁকৈ থাকোঁতেই ভিতৰৰ পৰা হঠাৎ ছোৱালী এজনী আহি মাত দিলেহি,

"মই খবৰ দিছিলোঁ। মাইনী বাই ইমান মন চন মাৰি আছে। লগৰ দুজনী মান আহিলে তাইৰো ভাল লাগিব।"

"অঁ অঁ। তোমাৰ খবৰটো পাইয়ে আমি নৰ'লোৱেই।" পথীয়ে কথাটো কৈ সন্ধ্যাৰ কাণত ফুচফুচাই সুধিলে,

"কোন নো এইজনী?"

"নাজানোঁ ৰহ।" সন্ধ্যাও মুখৰ ভিতৰতে ক'লে।

"ভালেই দিয়া। তোমালোক আহিলা যেতিয়া তাইও ভাল পাব। যোৱা ভিতৰলৈকে।"

মাকে এইদৰে ক'লতহে স্বস্তিৰ নিশ্বাস এৰিলে সন্ধ্যাহঁতে। সিহঁতক বচোৱা ছোৱালীজনীয়ে "আহা" বুলি ভিতৰলৈ মাতি নিলে। দীঘল কৰিডৰটোৰে শিখাৰ ৰুমলৈ গৈ থাকোঁতে ছোৱালীজনীয়ে সন্ধ্যাহঁতলৈ চাই ক'লে,

"মই শিখা বাৰ খুৰাকৰ ছোৱালী, গীতা।"

"থেংক ইউ গীতা, ভাল বচালা আজি তুমি।" সন্ধ্যাই ক'লে।

"মোক শিখা বাই কৈ থৈছিল তোমালোক আহিবা বুলি। লৈ যোৱা তাইক। বেচেৰী খুব কষ্টত আছে।"

গীতাই কথাখিনি কৈ কৈ শিখাৰ ৰুমলৈ নিলে সন্ধ্যাহঁতক। ৰুমটোত সোমায়েই পথীয়ে চিঞৰিলে,

"এই শিখা বা----"

হঠাৎ ৰুমত কোনোবা বোৱাৰী এগৰাকীক দেখি লগালগ সুৰটো বেলেগ কৰি ক'লে,

"বা----, শিখা। কইনা হৈ গ'লি আৰু ন তই?"

গীতাই বহি থকা বোৱাৰীজনীৰ ফালে চাই ক'লে,

"এওঁলোক শিখা বাৰ বান্ধৱী।"

Kaushik

লগে লগে আৰম্ভ হৈ গ'ল পথীৰ ভাওনা,

"বান্ধৱী মানে, নলে গলে লগা বান্ধৱী। কেনেকৈ যে তোক বিদায় দিম অ'। তই এতিয়া গুছি যাবি।"

কৈ কৈ পথীয়ে শিখাৰ কাষলৈ গৈ তাইক জোৰকৈ সাৱটি ধৰিলে। সন্ধ্যাৰ খং উঠিল। এইজনীয়ে ধৰাহে পেলাব এতিয়া বুলি তাইও গৈ শিখাক সাৱটি ধৰাৰ চলেৰে পথীৰ কাণত ক'লে,

"ঐ, অভাৰ এক্টিং হৈছে।"

"দৰকাৰ আছে।" পথীয়ে ফুচফুচালে।

"আই ঐ দেহি। বৰ মৰমলগা ছোৱালী দুজনী। তোমালোক অলপ জিৰোৱা। মই আহোঁ দেই।" বুলি বোৱাৰীজনী ওলাই গ'ল। সংগীতাই দুৱাৰখন বন্ধ কৰি হুকটো লগাই দিলে ভিতৰৰ পৰা। লগে লগেই ৰুমটো কঁপাই হাঁহিত ফাটি পৰিল সিহঁত গোটেই কেইজনী।

Kaushik

ৰাতি ভাতৰ মজিয়াত এবাৰ শিখাৰ মাকে সন্ধ্যাহঁতৰ আগত কথাটো উলিয়ালে,

"তাইক তোমালোকে অলপ বুজাবা চোন। ইমান ভাল ল'ৰা এটা পাইও তাইৰ মন আকৌ সেই চাকৰি নকৰা টোলেহে।"

পথীয়ে এইবোৰ সুযোগ কেতিয়াও নেৰে। আৰম্ভ কৰিলেই,

"ইস ইস, বৰ বেয়া কথা পাই। ইমান ৰাজকোঁৱৰ হেন ল'ৰাটো পাইনো এইবোৰ ভাবে নে। আমি হোৱা হ'লে গাত মাহ হালধি ঘঁহিবলে ঠেং দাঙি থাকিলোঁ হয় দেই।"

পথীৰ এই কথাবোৰত শিখাৰ মাকহঁতে বৰ ভাল পাইছে,

"সেইয়া, এয়া হে ভাল ছোৱালীৰ ভাল কথা। তোমালোক বুজন ছোৱালী। আমাৰ এইজনী হে কি জানো।"

"আপুনি চিন্তা নকৰিব বৰমা, মই বুজাম তাইক। চাব তাই হাঁহি হাঁহি বিয়াত বহিব।"

পথীৰ কথাত শিখাৰ মাক তাইৰ ওচৰ পালেহি,

"আই ঐ দেহি, তোমাৰ মুখত ফুল চন্দন পৰক আই।"

ইফালে ভিতৰত সন্ধ্যা আৰু শিখাৰ হাঁহিত অৱস্থা নাই। আচৰিত এই পথী জনী দেই।

"ৰুণ"

ৰাতি বিচনাত পৰি শিখাই সন্ধ্যাক মাতিলে। সিহঁত দুইজনী একেলগে শুইছে। পথী শুইছে গীতাৰ লগত কাষৰ ৰুমত।

"কোৱা বা।" মোবাইলটো চাইয়ে সন্ধ্যাই ক'লে।

"তোমাৰ মনত আছে নে, দৰা কইনাৰ প্ৰতিযোগিতাত যে তুমি বিচাৰকৰ প্ৰশ্নৰ উত্তৰত কৈছিলা যে বিবাহ কেতিয়াও মাক দেউতাকৰ আশীৰ্বাদ অবিহনে সম্পূৰ্ণ নহয়।"

"উম। আছে মনত।"

"তেন্তে আজি তুমি এনেকুৱা এটা কাম কিয় কৰিবলৈ ওলাইছা?"

শিখাৰ প্ৰশ্নত সন্ধ্যাই বুজিলে তাইৰ মনৰ ক'ৰবাত অপৰাধবোধ এটা এতিয়াও সোমাই আছে। সন্ধ্যাই মোবাইলটো থৈ শিখাৰ ফালে চাই ক'লে,

"সেইটো প্ৰতিযোগিতাতে মই আৰু এটা কথা কৈছিলোঁ বা। যে প্ৰেমৰ পৰিণতি কেতিয়াবা বিবাহ নহ'বও পাৰে, কিন্তু প্ৰেম অবিহনে বিবাহ সম্ভৱ নহয়। তুমিয়ে কোৱা ঘৰৰ পৰা ঠিক কৰা ল'ৰাটোৰ লগত তোমাৰ প্ৰেম হৈছিল জানো?"

শিখাই উত্তৰ নিদিলে একো। হয়তো সন্ধ্যাৰ কথাত তাইৰ মনত থকা দোষবোধখিনি পাতলিছিল। সন্ধ্যাই আকৌ ক'লে,

"চোৱা বা, বিবাহ এটা খুব পৱিত্ৰ বান্ধোন। জেদ ধৰি, জোৰকৈ কোনো লাভ লোকচানৰ তুলাচনীৰ জুখি ব্যৱসায়হে কৰে। বিয়াতো কোনো ব্যৱসায় নহয়। বিয়া মানে নিজৰ জীৱনটো আনৰ বাবে উচৰ্গা কৰাও নহয়। যাৰ লগত তুমি উৰেতো জীৱন কটাবা, তেওঁৰ লগত সম্পৰ্কটো আৰম্ভ কৰিবলৈ যদি নিজৰ মনটোক মাৰি পেলাবলগীয়া হয়, তেন্তে সেই সম্পৰ্কটো থাকিবগৈ নে?"

"ঠিকেই কৈছা।" শিখাই মাত দিলে।

Kaushik

"ইমান নাভাবিবা বা। শুই যোৱা। চাবা, সিদ্ধাৰ্থ দাৰ লগত তোমাৰ বিয়াখন হৈ যোৱাৰ পাছত মাইঁতেও মানি ল'ব। কেতিয়াবা মানুহক বুজাবলৈ যুক্তি নহয় উদাহৰণৰহে প্ৰয়োজন হয়।"

সন্ধ্যাৰ বুজনিয়ে বুকুৰ বোজাটো বহুখিনি পাতল কৰি তুলিছিল শিখাৰ। চকু মুদি টোপনিত ঢলি পৰিল তাই। এটা মিঠা সপোনৰ আশাত।

"Xula ni?"

অনুৰণৰ মেচেজটো এতিয়াহে মোবাইলটো খুলি অনুৰণৰ মেচেজটো পালে সন্ধ্যাই। লগে লগেই উত্তৰ দিলে,

"Umm, xu aru"

"Khua bua korisa tu bhal ke?"

"O, korisu"

"Eku problem tu hua nai?"

"Nai hua"

"Voi lagise ni?"

"Nai loga, tumi asa je"

মেচেজটো লিখোঁতে মুখৰ হাঁহিটো নিজে নিজে সৰিছিল সন্ধ্যাৰ। বুকুখন ধপধপাইছিল, সি বা কি দিয়ে।

"Xodai asu"

অনুৰণৰ মেচেজটো পাইয়ে মোবাইলটো বুকুত সাৱটি লৈছিল সন্ধ্যাই। চকুহাল জাঁপ খাই আহিছিল লাহে লাহে।

"সন্ধ্যা, ঐ সন্ধ্যা। উঠচোন।"

কাউৰী পুৱাতেই পখীয়ে হেঁচুকি হেঁচুকি জগালে সন্ধ্যাক। শিখাও তাইৰ মাততে সাৰ পালে। ৰুমটোত সোমাই আহিছে গীতাও।

"কি হ'ল? এতিয়াই চিঞৰি আছ যে? ইহঁত পালেহি বুলি ফোন কৰিছে নেকি?"

চকুহাল মোহাৰি সন্ধ্যাই ক'লে।

Kaushik

"নাই কৰা। বাহিৰত চা কোন আছে।"

পখীৰ কথাত সন্ধ্যাই হামি এটা মাৰি আকৌ সুধিলে,

"কোন নো?"

"দেউতা।"

চঁক খাই উঠিল সন্ধ্যাই। শিখাও উঠি বহিল একেচাবে।

"দেউতা? মানে?" টোপনিৰ জাল যেন ফাটি গ'ল দুইজনীৰ।

"মানে মোৰ দেউতা।"

সন্ধ্যাই অকণমানকৈ শিখাৰ ৰুমৰ খিৰিকীৰ পৰ্দাখন দাঙি চালে। তাইৰ ৰুমৰ পৰা সিহঁতৰ চোতালখন দেখি থাকি। অলপকৈ চাইয়ে একেকোবে আঁতৰি আহিল সন্ধ্যা,

"শেষ, চব শেষ। মৰিলোঁ আজি। তহঁতৰ দেউতানো ইয়ালে কিয় আহিছে?"

"মই কেনেকে জানো? কিবা চিনাকি চাগে।"

পখীয়ে কন্দামুৱা হৈ ক'লে।

"এইখন বিয়া সঁচাকৈ কিবা ৰাষ্ট্ৰীয় সমস্যা হোৱা দি হৈছে গে আৰু। ইটোৰ পিছত সিটো। কি যে মানে।"

সন্ধ্যাৰ খঙেই উঠিছিল। শিখাৰো মুখ শুকাই গৈছে।

"মাইনী, তোৰ লগৰ কেইজনীক আগফালে আহিবলৈ কচোন।"

শিখাৰ মাকৰ কথাষাৰত যেন বিনা মেঘে বৰ্জপাত পৰিছিল ৰুমটোত। কিংকৰ্তব্য বিমূঢ় হৈ ইজনীয়ে সিজনীৰ মুখলৈ চাই বহি ৰ'ল বিচনাতে।

(আগলৈ)

#নিৰিবিলি

Part 93

Kaushik

"কেনেবাকৈ যদি দেউতাই গম পাই যে মই ইয়াত ছোৱালী পলুৱাবলৈ আহিছোঁ, মোক থিয়ে থিয়ে কাটিব জাননে?"

পথী প্ৰায় কন্দামুৱা হৈ গৈছে। সন্ধ্যাই তাইৰ বাহুত হাতখন থৈ বুজালে,

"ৰচোন। ইমান নাভাবিবি। বৰতাইতো তোক দেখা নাই এতিয়ালৈকে। কিবা এটা কৰিব লাগিব।"

"মাইনী, ইহঁত উঠিল নে?" শিখাৰ মাকে আকৌ চিঞৰিছে।

"উফ, এই মা জনীক কিহে পাইছে নো বাৰু? ঐ গীতা, যাচোন। কি হ'ল সোধ গে।"

শিখাই ভোৰভোৰাই উঠিল। গীতা ৰুমটোৰ পৰা ওলাই গ'ল। অলপ পাছত আহি ক'লে,

"চাহ দিছে। সেই কাৰণে মাতিছে।"

"উফ, মই আকৌ ভয়ে খাইছিলোঁ।" শিখাই এতিয়াহে উশাহ ল'লে।

সন্ধ্যাই মুখ শুকাই থকা পথীলৈ চাই ক'লে,

"পথী, তহঁতৰ বৰমাতো খুব সৰু সৰু কথাতে ছিৰিয়াছ হৈ যায় ন?"

"অঁ হয়। সেইটো মনত পৰিল যে তোৰ?" পথীয়ে খিৰিকীৰ পৰ্দাৰ ফাঁকেৰে জুমি জুমি চাই আছে। বাহিৰত চকী এখন শিখাৰ দেউতাকৰ সমুখতে আন এখন চকীত তাইৰ দেউতাক।

"যদি তই বৰমালে ফোন কৰি এনেকুৱা কিবা কঁৱ য'ত বৰমাই ফোন কৰি বৰতাক মাতি দিয়ে, তেতিয়া?"

সন্ধ্যাৰ কথাটো ভালদৰে বুজি নাপাই পথীকে ধৰি গোটেই কেইজনীয়ে তাইলৈ চালে। কেই মূহুৰ্তৰ ভিতৰতে পথীৰ চকু কেইটা উজলি উঠিল। মুখত সেই দুষ্টালি হাঁহিটো। তাই লগে লগে মাকলৈ ফোন লগালে। শিখা আৰু গীতাই একো বুজি নাপালে যদিও সন্ধ্যাই ঠিকেই বুজিছিল পথীয়ে এতিয়া কি কৰিব! এইবোৰতো আমাৰ পথীৰ কাৰণে বাওঁহাতৰ খেল। মাকে ফোনটো ধৰাৰ লগে লগে উচুপি উচুপি মাতটো উলিয়াই পথীয়ে ক'লে,

"মা, অ' মা দেউতা ক'ত আছে?"

Kaushik

সন্ধ্যাই ইংগিত দিলে ফোনটো লাউদত দিবলৈ। ফোনৰ পৰা পখীৰ মাকৰ মাতটো ভাহি আহিল,

"দেউতাৰে চিনাকি মানুহ এজনৰ ঘৰলৈ গৈছে, আমাৰ চাৰিআলিৰে। কিয়, ইমান ৰাতিপুৱাই ফোন কৰিলি যে?"

পখীয়ে ফেঁকুৰি উঠিল,

"মা, দেউতাক প্লিজ ঘৰলৈ মাতা। মই ইমান বেয়া সপোন এটা দেখিলোঁ ৰাতিপুৱাই। দেউতাক হেনো কোনোবাই ৰাস্তাত--"

পখীৰ কৈ নহ'লেই। মাকে চিঞৰি উঠিল,

"এই ৰ ৰ ৰ। এনেকে নহয়। ঈশ্বৰৰ নাম লৈ গছৰ আগত কৈ দে। কৃষ্ণ কৃষ্ণ। এই মানুহটো গৈ চোন নহা হ'ল গে। ৰ ৰ, মই দেউতাৰলে ফোন লগাওঁ। তই গছৰ আগত ক গৈ যা।"

মাকে প্ৰায় কন্দামুৱা হৈ ফোনটো কাটিলে। পখীৰ ভাওনা দেখি মূৰে কপালে হাত দিলে শিখাই,

"হে ভগৱান, কি আচৰিত ছোৱালী এইজনী।"

"আচৰিত ছোৱালী কাৰণেতো তোমাক পলুৱাই নিব আহিছোঁ। এতিয়া চোৱা খেল।"

বুলি পখীয়ে খিৰিকীৰ পৰ্দাখন সামান্য দাঙি চাই ৰ'ল দেউতাকলৈ। ইফালে সন্ধ্যাহঁতেও কাণ উনাই আছে বাহিৰলৈ। বেছি সময় নহ'লেই। পখীৰ দেউতাকৰ ফোন বাজিল।

"অঁ কোৱা। কিয়, কৈছিলোঁৱেই চোন মই এই চৌধুৰীহঁতৰ ঘৰলৈ আহিছোঁ বুলি..... কি ক'লা? ঘৰলৈ? এতিয়াই? কিয়, কিবা হ'ল নেকি.... ৰ'বাচোন ইমান অধৈৰ্য হৈছা কিয়? উস ৰাম, ৰ'বা ৰ'বা। গৈছোঁ ৰ'বা।"

দেউতাকে ফোন কাটিলে। ভিতৰত পখীহঁতৰ হাঁহিত অৱস্থা নাই। শিখাই তাইক সৰুকৈ গালিও দিলে,

"নাপাই দেই এনেকে কৰিব।"

"Everything is fair in love and war"

Kaushik

পথীয়ে হাঁহি মাৰি কৈছিল। বাহিৰত পথীৰ দেউতাক চকীৰ পৰা উঠি শিখাৰ দেউতাকক ক'লে,

"হেৰি চৌধুৰী, গৈ থাকোঁ বুইছে। এই মানুহজনীৰ কি হ'ল জানো। যিমান পাৰি সোনকালে মাতি পঠাইছে।"

"চাহ একাপ---"

শিখাৰ দেউতাকক বাধা দি তেওঁ আকৌ ক'লে,

"নালাগে নালাগে দিয়ক। দেৰি হ'ব।"

"ঠিক আছে। কাইলৈ কিন্তু সোনকালে আহিব। বৰানীকো লৈ আহিব সোনকালে।"

"নিশ্চয় নিশ্চয়। আপোনাৰ ছোৱালীৰ আঙুঠি পিন্ধোৱা, কিয় নাহিম।"

শিখাৰ দেউতাকে হুঁমুনিয়াহ এটা পেলাই ক'লে,

"হয় হে। চাওঁতে চাওঁতে তাই যে ইমান ডাঙৰ হ'ল। মৰম কৰি কৰি এতিয়া তাইক উলিয়াই দিবৰে হ'ল।"

মানুহজনৰ চকুহালো সেমেকিছিল চাগে। ৰুমৰ ভিতৰত শিখা উচুপি উঠিছিল,

"দেউতাই ইমান আশা কৰি আছে মোক লৈ। আৰু মই?"

"আশাতো তুমিও কৰিছিলা ন বা? তাৰ মূল্য পালা জানো? এতিয়া এইবোৰ নাভাবিবা। ইহঁত পাবহিয়ে অলপ পাছতে। যোৱা, সাজু হোৱা গৈ।"

সন্ধ্যাই বুজাইছিল তাইক। ইতিমধ্যে পথীৰ দেউতাক গৈছিলগৈ। গোটেই কেইজনীয়ে স্বস্তিৰ নিশ্বাস পেলালে।

গাটো ধুই শিখা গোঁসাই ঘৰত সোমাল। চাকি গছ জ্বলাওঁতে চকুপানী ৰখাব নোৱাৰিলে তাই। ফেঁকুৰি উঠিল তাই,

"মোক ক্ষমা কৰিবা মোৰ গোঁসাই। ঘৰখনৰ সন্মান ভৰিৰে মোহাৰিবলৈ ওলাইছোঁ মই।"

তাৰ পৰা ওলাই আহোঁতেই মাকে মাতি নিলে শোৱা কোঠালৈ।

Kaushik

"চাচোন, কাইলৈ তই পিন্ধিবলৈ এইযোৰ খুৰাৰে দিছে। এইটো আঙুঠি মোমায়েৰে দিছে।"

মাকে হাঁহি মুখেৰে কথাখিনি কৈ গৈছে। শিখাই চাব পৰা নাই মাকৰ মুখলৈ। কিছু সময়ৰ পাছতে যে তেওঁৰ হাঁহিটো মাৰ যাব, সেইটো ভাবিলেই তাই নিজলৈকে খং উঠে। কিন্তু ইয়াৰ বাহিৰে যে উপায়ো নাই। গা পা ধুই পখী আৰু সন্ধ্যা ৰুমতে বহি আছিল। এবাৰ শিখাৰ খুৰীয়েকে আহি কৈছিলহি,

"তোমালোক দেখোন একদম ফিটফাট হৈ আছা, ক'ৰবালৈ যোৱা নেকি?"

সন্ধ্যাই সুযোগ পাই ক'লে,

"যাবলৈতো মন আছিলেই খুৰী। ভাবিছিলোঁ গাওঁখন এপাক চাই আহোঁ। কিন্তু লগহে নাই। শিখাক হেনো ঘৰৰ পৰা ওলোৱাই মানা কৰিছে।"

"আমাৰ গীতাকে লৈ যোৱা নহ'লে।"

মানুহগৰাকীৰ মুখতে ধৰাৰ দৰে কৰি পখীয়ে ক'লে,

"গীতাক মই অলপ জেতুকা সানি দিবলৈ কৈছিলোঁ খুৰী।"

সন্ধ্যাই আচৰিত হৈ চাইছিল পখীলৈ। এক ছেকেণ্ডত ক'ৰ পৰা সাজি দিব পাৰে মিছা কথা এইজনীয়ে?

"অহ, হয় নেকি? ৰ'বা নহ'লে। মই এবাৰ বাইদেউক কৈ চাওঁ।"

মানুহগৰাকী উঠি গ'ল। মানুহ ঘৰৰ সৰলতা দেখি ক'ৰবাত সন্ধ্যাৰো মনটো সেমেকিছিল। সিহঁতে যে এই সৰলতাৰে সুযোগ লৈছে। কিন্তু শিখা আৰু সিদ্ধাৰ্থক মিলাবলৈ হ'লে এইটোৱে যে শেষ উপায়। মনটো ঘূৰাবলৈকে এটা হুঁমুনিয়াহেৰে মোবাইলটো আনি চালে সন্ধ্যাই, কিজানি ইহঁতে কিবা মেচেজ দিছেই।

অনুৰণ আৰু প্ৰিয়ানুজে গাড়ীখন আনি ইউনিভাৰ্চিটীৰ গেটৰ কাষতে ৰাখিলে। এজন এজনকৈ মানুহবোৰ আহি গোট খাইছেহি। প্ৰথমেই চন্দ্ৰালী আৰু হিমাদ্ৰী। তাৰ পাছতে দীপক আৰু সিদ্ধাৰ্থ। শেষত ময়ূঁৰ আৰু তাৰ পাছে পাছেই সিদ্ধাৰ্থৰ বাইকখন লৈ ওলাই আহিল অভিমন্যু।

Kaushik

"সিদ্ধাৰ্থ দা, ভালকৈ। খবৰবোৰ দি থাকিব আমাক।" চন্দ্ৰালীয়ে ক'লে।

"ঠিক আছে" বুলি সিদ্ধাৰ্থ গাড়ীত বহিল। প্ৰিয়ানুজ নামি আহিল।

"অনুৰণ আৰু অভিমন্যু, লাইচেন্স লৈছাতো তোমালোকে?" প্ৰিয়ানুজে এবাৰ সুধি ল'লে। দুইটাই মূৰ জোকাৰিলে। সিদ্ধাৰ্থই গাড়ীৰ পৰাই ক'লে,

"ঠিক আছে। গৈ থাকোঁ তেন্তে। চন্দ্ৰাহঁত কটনত ৰ'বা। আৰু প্ৰিয়ানুজ, তোমালোকো সোনকালে যাবা মন্দিৰ।"

"আমি ৰেডি হৈয়ে আছোঁ দাদা। বকুল দাৰ হ'লেই যামেই আৰু।"

ময়ূঁৰে দিলে উত্তৰটো। অনুৰণে গাড়ী ষ্টাৰ্ট দিয়াৰ লগে লগে অভিমন্যুয়েও বাইকৰ চাবি ঘূৰালে। দীপকে সৰুকৈ চিঞৰ এটা মাৰিলে,

"জয় হৰি বোলা---"

গোটেই কেইটাই চিঞৰি উঠিল,

"জ----য়।"

লগে লগেই অনুৰণহঁতৰ গাড়ী আগবাঢ়িল। পিছে পিছে বাইকত অভিমন্যু।

"কৃষ্ণ, কৃপা কৰিবা গোঁসাই। তোমাৰেই পথ লৈছে এওঁলোকে।"

দীপকৰ কথাত চিন্তাৰ মাজতো হাঁহি উঠিল চবৰে।

"দীপক দা, আপোনালোক গৈ ৰেডি হওঁক। মই মহামায়াত সোমাই বকুল দাৰ খবৰ লওঁ।" ময়ূঁৰে ক'লে।

"আমিও যাওঁ, ওলাওঁগৈ। ব'লা চন্দ্ৰা।"

হিমাদ্ৰীয়ে চন্দ্ৰালীক লৈ হোষ্টেল গ'ল। দীপক আৰু প্ৰিয়ানুজো হোষ্টেলৰ ফালে খোজ ল'লে। ময়ূঁৰে মহামায়াৰ ফালে আগবাঢ়ি সন্ধ্যালৈ ফোন লগালে,

"অনুৰণহঁত গৈছে এইমাত্ৰ। ৰেডি হোৱা।"

ৰাতিপুৱা শিখাহঁতৰ ঘৰত লুচি ভাজি খাই ৰুমটোৰ ভিতৰতে ইফাল সিফাল কৰি আছিল সন্ধ্যাই। অলপ আগতে ময়ূঁৰে ফোন কৰিছে। অনুৰণহঁত ওলালেই বোলে।

Kaushik

হয়তো আৰু এঘণ্টা মানৰ ভিতৰতে পাবহি। বুকুখন কঁপি আছে তাইৰ। কি বা হয়। পথীয়ে বিচনাতে পৰি মোবাইলত কিবা চাই আছে। তাই সদায়ৰ দৰে আজিও বিন্দাছ। কোনো চিন্তাৰ ভাবলেশেই নাই মুখত। তেনেতে শিখাৰ মাক সোমাই আহিল,

"ৰূপহী, তুমি বোলে গাওঁখন ফুৰাৰ কথা কৈছা। যোৱা, আমাৰ মাইনীকে লৈ যোৱা। তাইৰো মনটো মুকলি হ'ব। তোমালোক অহাৰ পৰা তাইও হাঁহি মাতি আছে।"

সন্ধ্যাৰ লগতে পথীও আচৰিত হ'ল। সন্ধ্যাৰ লগত শিখাক ইমান সহজে ওলাই যাবলৈ দিব বুলি সিহঁতে কেতিয়াও ভবা নাছিল। ইয়াৰ পৰাই বুজা যায় যে, কিমান বিশ্বাস কৰিছে তেওঁলোকে সন্ধ্যাহঁতক। অথচ সিহঁতে...। নাই, আৰু বেছি নাভাবিলে সন্ধ্যাই। এইটো সময় আৱগিক হোৱাৰ নহয়েই। সন্ধ্যাই ক'লে,

"ঠিক আছে বৰমা। অলপ পাছতে ওলাই যাম আমি।"

"অলপ পাছত কিয়? এতিয়াও যোৱা। মাইনীও আজৰিয়ে হৈ আছে।"

শিখাৰ মাকৰ কথাত সন্ধ্যাই বাহানা এটা মাৰিলেই হেঁতেন। কিন্তু অ'ভাৰ এক্টিঙৰ দোকান পথীয়ে টপককৈ মাত দিলে,

"মানে ফোনটো আহা নাই যে, আহিলেই---"

"ফোন? কাৰ ফোন?" শিখাৰ মাকৰ প্ৰশ্নতহে জ্ঞান আহিল পথীৰ যে তাই সাংঘাতিক ভুল এটা কৰিলে। বেচেৰীয়ে ভয়ে ভয়ে সন্ধ্যালৈ চালে। উঠি অহা খংটো কোনোমতে দবাই সন্ধ্যাই ক'লে,

"মানে বৰমা, মোৰ মায়ে ফোন কৰি আছিল। ইয়াত আকৌ নেটৱৰ্কটো বৰ বেয়া নহয়। ওলাই গ'লে নাপাবও পাৰোঁ যে। সেইকাৰণে বোলো ইয়াতে কথা পাতি লওঁ।"

"আই ঐ দেহি। মাকৰ বৰ মৰমৰ যেন পাইছোঁ ছোৱালীজনী। ঠিকে আছে দিয়া। কথা পাতি হ'লেই যাবা। মই মাইনীকো কৈ থৈছোঁ।"

কথাটো কৈ শিখাৰ মাক ওলাই গ'ল। সন্ধ্যাই লগে লগে দাঁত কৰচি পথীৰ কাষলৈ গ'ল। পথীয়ে হাতেৰে মুখখন ঢাকি ক'লে,

"ঐ ঐ নেমাৰিবি প্লিজ। এতিয়াৰ পৰা মুখ নোখোলো মই চাবি। বিদ্যা শপত।"

Kaushik

"চুপ থাক। অহাৰ পৰা অকল ভাওনা তাইৰ। নিজেতো মৰিবি, মোকো ফচাই মাৰিবি। যা ওলাগে। মোৰ কাপোৰ থিনিও ভৰাই ল। দৌৰা দৌৰিত যদি এৰি থৈ যাঁৱ চাবি কিন্তু।"

সন্ধ্যাই কোৱাৰ লগে লগে সুৰসুৰকৈ আঁতৰিল পখী। সন্ধ্যাই এবাৰ মোবাইলটোলৈ চালে, ফোন আহিছে নেকি। অভিমন্যুৰ মিচকল এটা আছিল। ফোন লগালে তাই,

"কল কৰিছিলি?"

"অঁ, তই ভয় চয় কৰিছ নি?"

"নাই কৰা। তহঁত ক'ত পাইছহি?"

"এই পামগৈ এতিয়া। থওঁ দে। বাইক চলাই আছোঁ।"

"অকে।"

ফোনটো কাটি এবাৰ দীঘলকৈ উশাহটো ল'লে সন্ধ্যাই। সকলো ভালে ভালে হৈ গ'লেই হয় আৰু।

Kaushik

"কৈকেয়ী ওলাইছে অ' পদুম ফুল,

সুমিত্রা ওলাইছে অ' পদুম ফুল,

ওলাইছে কৌশল্যা মাৰে পদুম ফুল,

জানকীক চাবলৈ মন বিয়াকুল।"

টেম্পুৰ ঘেৰঘেৰ শব্দটো তল পেলাই দীপকে সুৰ লগাই গাই উঠিল বিয়া নামটো। সিদ্ধাৰ্থহঁতৰ পৰা ইংগিত পাই সিহঁত আটাইবোৰ টেম্পুতে ওলাই আহিল। ইয়াৰ পৰাই হিমাদ্ৰী আৰু চন্দ্ৰালী কৰ্টলৈ যাব। ময়ূঁৰ, প্ৰিয়ানুজ, দীপক আৰু বকুল দা মহাভৈৰৱলৈ যাব। বকুল দা বেচেৰা ভয়ে ভয়ে আহিছে। মাজতে এবাৰ কৈছেও,

"হেৰৌ, ইমোচনেল হৈ কন্যাদান কৰিম বুলি ক'লো হয়। পিছে কেনেবাকে ৰঙা ঘৰৰ ভাত খাবলগীয়া নহয়তো?"

হিমাদ্ৰীয়ে লগে লগে গেঙেৰী মাৰিছিল,

"হাও, এইখিনি কলিজা লৈ মানুহ থাকে নাকি?"

বাহিৰে যিয়ে যি নেদেখুৱাওক, ভিতৰি ভিতৰি কিন্তু ভয় এটা সকলোৰে লাগি আছিল। সেইবাবেই দীপকে সকলোৱে শুনাকৈ বিয়া নাম জুৰিছে। প্ৰিয়ানুজে "বঢ়িয়া দীপক, নেৰিব্বা" বুলি কোৱাত দীপকে আকৌ এটা বিয়ানাম দিলে,

"কামদেউৰ পুত্ৰ অ' মন তগৰ,

গোবিন্দৰে নাতি অ' মন তগৰ,

আনা চিত্ৰলেখা অ' মন তগৰ,

আজি সুদা হ'ব বাণৰে নগৰ।"

লগে লগেই হিমাদ্ৰী আৰু চন্দ্ৰালীয়েও ধৰি গ'ল,

"আজি সুদা হ'ব বাণৰে নগৰ"

দীপকে উৰুলিও দিলে এজোলোকা। গোটেই কেইটাৰ হাঁহিয়ে ভয়বোৰ উৰুৱাই নিছিল।

ফোনটো বজাৰ লগে লগে বুকুখনো যেন ধান বনাদি বানিছিল সন্ধ্যাৰ। ফোনটো উঠাওঁতে হাতটোও কঁপিছে। ৰিচিভ কৰাৰ লগে লগে সিফালৰ পৰা সিদ্ধাৰ্থই ক'লে,

"পালোঁহি আমি। ওলাই আহ।"

লগে লগেই শব্দ কৰি ব্ৰেক এটা মাৰি শিখাহঁতৰ পদূলিটোৰ ওচৰতে বাইক এখন ৰ'লহি। হেলমেট পিন্ধা ল'ৰাজনে মোবাইল টিপিবলৈ লাগিল। শিখাহঁতৰ ঘন চুবুৰী বাবে বাইকখন অহা বহুতে দেখিছে যদিও বৰ বিশেষ মন দিয়া নাছিল। এনেও বিয়াঘৰ বুলি ইজন সিজনকৈ মানুহ আহ যাহ কৰিয়ে আছে। তাৰে মাজৰে কোনোবা বুলিয়ে ভাবিছে চবেই। সন্ধ্যাই ৰুমটোৰ খিৰিকীৰ পৰাই দেখিছিল বাইকত বহি থকা অভিমন্যুক।

"পখী, ইহঁত আহিল।"

সন্ধ্যাৰ কথা শুনি বিচনাৰ পৰা উঠি আহিল। সন্ধ্যাক সাৱটি ধৰি তাই ক'লে,

"শিখা বাক লৈ ওলাই যা তই।"

kaushik

"তই সাৱধান কিন্তু।" পখীলৈ চিন্তা হৈছিল সন্ধ্যাৰ। তাইতো ওলাই যাব, কিন্তু পখী থাকি যাব। কিবা হেৰফেৰ হ'লেই সকলোৱে হোৰ পখীৰ ওপৰতে তুলিব। তথাপি অভিমন্যু পদূলিতে আছে বাবে অলপ ভয়তো কমিছে।

"তই মোৰ কথা চিন্তা নকৰ। সোনকালে শিখা বাক লৈ ওলাই যা।" পখীয়ে সন্ধ্যাক পঠিয়াই কাপোৰৰ বেগটো আকৌ এবাৰ চালে।

শিখাই পিছফালে খুৰীয়েক আৰু মাকৰ ওচৰতে বহি আছিল। খুৰীয়েকহঁতে তামোল বখলিয়াই আছে। কাইলৈ আলহীক লাগিব যে। শিখাইও কৰোঁ বুলি কৈছিল। তেওঁলোকে "কইনাই কাম কৰিব নাপাই" বুলি নিদিলে।

"শিখা, আমি যাওঁ ব'ল।"

সন্ধ্যাৰ মাতত শিখাৰ লগতে মাকহঁতেও ঘূৰি চালে তাইলৈ।

"মানে ফুৰিব যাম বুলি কৈছিলোঁ যে।"

সন্ধ্যাই এইবাৰ তলমূৰ কৰি ক'লে।

"অঁ অঁ। যা অ' মাইনী, তাইক অকণ ফুৰাই আন গে।" শিখাৰ মাকে কথাটো কৈ আকৌ তামোল গুছোৱাত লাগিল। লাহে লাহে থিয় হৈছিল শিখা। চকুত ভিৰ কৰা পানীখিনি খুব জোৰেৰে ৰখাইছিল তাই। উঠি আহি পিছফালে নোচোৱাকৈ মাকক ক'লে,

"যাওঁ মা।"

"যা, দেৰি নকৰিবি। সোনকালে আহিবি দেই।" মাকে মূৰ নোতোলাকৈয়ে কৈছিল।

ওঁঠখন টিপি খুব জোৰেৰে চেঁপিছিল কান্দোনটো শিখাই। সন্ধ্যাই তাইৰ বাহুত হাত দিলে। এখোজ দুখোজকৈ আগফালে আহিছিল সিহঁত। সন্ধ্যাই ধৰি আনিছিল শিখাক। এজনী ছোৱালীৰ বাবে এই মূহুৰ্তটো কিমান দুখৰ হ'ব পাৰে সন্ধ্যাই বুজে। আগফালে আহি ঘৰৰ পিৰালিটো এবাৰ চুই মূৰ দোঁৱালে শিখাই। চকু চলচলীয়া হৈছে সন্ধ্যাৰো। পখী আহি বাৰাণ্ডাতে ৰ'ল। সন্ধ্যাহঁত চোতাল পাৰ হৈছে। সদায় বিন্দাছ থকা পখীৰো যেন চকুলো বাগৰিছিল।

"অঁ এই শিখা ওলাই গ'ল নেকি? মোৰ এই চোলাটো ইস্ত্ৰি কৰি দিব লাগিছিল।" ভিতৰৰ পৰা শিখাৰ খুৰাকে চিঞৰিলে।

Kaushik

"বেছি আগবঢ়া নাই যদি মাতি দিওঁ ৰ'ব।" বুলি কোনোবা এটা আগবাঢ়ি গৈছিলেই। পখীয়ে লগে লগে মাত দিলে,

"নালাগে নালাগে। সিহঁত যাওঁক। খুৰাৰ চোলাটো মইয়ে ইস্ত্রি কৰি দিওঁ।"

তাই ভিতৰ সোমাই ইস্ত্রিটো বিচাৰি আনি কৰিবলৈ লাগিল।

সন্ধ্যাহঁত পদূলি সাৰিছিলগৈ। অভিমন্যুয়ে বাইকৰ পৰা সিহঁতক দেখি মূৰ দুঁপিয়াই ইংগিত দিলে। এখোজ দুখোজকৈ সন্ধ্যাহঁত চাৰিআলিত ৰৈ থকা গাড়ীখনৰ ওচৰ চাপিছে। সিহঁত আগুৱাই অহাৰ লগে লগে গাড়ীৰ পিছফালৰ দুৱাৰখন খোল খালে। সন্ধ্যাহঁত ঠিক গাড়ীৰ কাষ পাইছিলেই। এই গাড়ীত উঠেই আৰু। তেনেকুৱাতে পিছফালৰ পৰা কাৰোবাৰ মাত শুনিলে,

"মাইনী, ক'লৈ যাঁৱ তই?"

শিখা আৰু সন্ধ্যাই ঘূৰি চাই দেখে শিখাৰ বৰদেউতাকৰ ল'ৰা পাপু ৰৈ আছে।

"পাপু দা....." শিখাৰ মাতটো কঁপিছে। পাপুৱে গোটেই ঘটনাটো তৎক্ষণাৎ অনুমান কৰিলে। লগে লগে সি চিঞৰি উঠিল,

"তই পলাই যাবলৈ ওলাইছ? ছিহ মাইনী, তোৰ লাজ লগা নাই। ঘৰলৈ ব'ল।"

সি আগুৱাই আহিল। সন্ধ্যাই লগে লগে শিখাক হাতত ধৰি জোৰেৰে টানি গাড়ীৰ ভিতৰলৈ ঠেলি দিলে। চকুৰ পচাৰতে তাই নিজেও গাড়ীত বহি দুৱাৰখন ধমকৈ জপাই দিলে। অথনিৰে পৰা সাজু হৈ থকা অনুৰণে লগে লগেই ফুল স্পীডত গাড়ী দৌৰাবলৈ লাগি গ'ল। পাপুৱে কি হ'ল তলকিবলৈ নাপাওঁতেই গাড়ী গৈ বহুখিনি পালেগৈ। সি লগে লগে "ঐ, মাইনী পলাই গ'ল।" বুলি ডেডাউৰি পাৰি শিখাহঁতৰ ঘৰলৈ বুলি দৌৰ দিলে।

গাড়ীৰ ভিতৰত উচুপি উঠিছে শিখাই।

"ঐ, এতিয়া কন্দা কটাখন নকৰিবি চোন। চব ঠিক হ'ব। ৰুণজুন, তই পখীলৈ ফোন লগা।" সিদ্ধাৰ্থই ক'লে।

"মাৰি আছোঁ ফোন। ৰিং হৈ হৈ কাটি গৈছে জান নে। উঠোৱা নাই।"

"কি?" সন্ধ্যাৰ কথাত বুকুখন চিৰিংকৈ গৈছিল চবৰে।

Kaushik

পথীয়ে সমুখৰ ৰুমৰ বিচনাখনতে শিখাৰ খুৰাকৰ চোলাটো ইস্ত্ৰি কৰি আছে। বেগ ৰেডি হৈয়ে আছে তাইৰ। সন্ধ্যাৰ ইংগিত পালেই ওলাই যাব। তেনেকুৱাতে শুনিলে চিঞৰটো,

"অ' খুৰী, খুৰী ঔ; মাইনী পলাই গ'ল।"

বুকুখন যেন ঢিপিংকৈ মাৰিলে পথীৰ। তাৰমানে সন্ধ্যাহঁত গ'ল। কিন্তু তাইক কোনেও নক'লে যে! কিন্তু, ফোন? ধেৎ তেৰি, তাইচোন ফোনটো শিখাৰ ৰুমতে এৰি আহিল। ইস্ত্ৰি তাতে পেলাই পথীৰ ভিতৰলৈ দৌৰিলে। গৈহে দেখিলে ফোনত সন্ধ্যাৰ এসোপা মিছকল। ফোনটো বেগটোতে লৈ ওলাই আহে মানে তেতিয়ালৈ চোতালত গোটেই ঘৰৰ মানুহ গোট খালে।

শিখাৰ মাকে কান্দোন মিহলি মাতেৰে পাপুক কৈ আছে,

"কি কথা কৈছ পাপু তই? মাইনী তাইৰ লগৰজনীৰ লগতহে ওলাই গৈছে।"

"অঁ সেই লগৰ জনীয়েই পলুৱাই নিলে তাইক। ইহঁতে চুকতে থাকি বুকুতে কামুৰিলে।"

পাপুৱে দাঁত কৰচি উঠিল। লগে লগে ভিৰৰ মাজৰ পৰা কোনোবা এটাই ক'লে,

"আৰু এজনী আহিছিল নহয়, তাইক সোধক।" লগে লগে ঘৰৰ গোটেই মানুহৰ দৃষ্টি বাৰাণ্ডাত ৰৈ থকা পথীৰ ওপৰত পৰিল। কান্ধত কাপোৰৰ বেগটো ওলোমাই লোৱা পথীক দেখি কাৰো বুজিবলৈ বাকী নাথাকিল। শিখাৰ মাকে আগুৱাই গৈ পথীৰ গালত এটা পূৰ্ণহতীয়া চৰ সোধাই দিলে। থৰ হৈ ৰৈ গৈছিল পথী। শিখাৰ মাকে চিঞৰি ক'লে,

"ক, ক'লৈ গ'ল মোৰ ছোৱালীজনী?"

পথী নিশ্চুপ হৈ ৰৈছে। গোটেই চোতাল মানুহেৰে ভৰ্তি। ইয়াৰ মাজত পলাই সৰাটোও অসম্ভৱ।

"তই কবি নে? চাল্লী জুইলাগতী, মিঠা মিঠা কথা কৈ কৈ এইয়া কৰিলি। আজি তোক মুখত ছাঁই সানি গোটেই গাঁও ঘূৰাম চাই থাক।"

শিখাৰ খুৰীয়েকৰ মাতটো কাণত পৰিলহি পথীৰ। একো মুখেৰে নকৈ মাত্ৰ চকু মুদি দিছিল পথীয়ে। লগে লগে প্ৰচণ্ড শব্দ কৰি শিখাহঁতৰ চোতাললৈ সোমাই আহিল এখন বাইক। মূৰত হেলমেট পিন্ধি থকাৰ বাবে কোনেও ধৰিব পৰা নাই কোন আছে।

Kaushik

চোতালতে এক পাক মাৰি ল'ৰাটোৱে বাইকখন ঘূৰালে। ঘেঁ ঘেঁ শব্দ কৰি বাইকখনে গোটেই ধূলি উৰুৱাই পৰিৱেশটো ধূলিময় কৰি তুলিছিল। হঠাৎ আহি যোৱা বাইকখনৰ বাবে চোতালত থকা মানুহখিনি ছেদেলি ভেদেলি হৈ পৰিল। কোনোবাই মুখত কাপোৰেৰে সোপা দিলে, কোনোবাই চকু মোহাৰি আঁতৰি আহিল। পথীৰ বুজিবলৈ বাকী নাছিল সেইটো কোন। সকলোৰে অন্যমনস্কতাৰ সুযোগ লৈ পথী একে দৌৰে গৈ বাইকৰ পিছৰ ছিটত বহিলগৈ। কান্ধত কাপোৰৰ বেগটো ভালকৈ লৈ তাই অভিমন্যুৰ কঁকালত জোৰেৰে সাৰটি ধৰিলে। লগে লগেই সকলোৰে চকুৰ আগতে পথীক লৈ দুৰন্ত গতিত বাইক চলাই দিলে অভিমন্যুয়ে। শিখাহঁতৰ ঘৰৰ মানুহে ঘটনাটো অনুধাৱন কৰে মানে অভিমন্যুহঁত গাঁৱৰ সীমা পাৰ হৈছিল।

তীব্ৰ গতিৰে গাড়ীখন আনি তেজপুৰ কৰ্টৰ মুখত ৰাখিলে অনুৰণে। ডেৰ ঘণ্টাৰ ৰাস্তা মাত্ৰ চল্লিছ মিনিটতে পোৱালেহি সি। গাড়ীখন দেখিয়ে কৰ্টৰ বাহিৰত ৰৈ থকা চন্দ্ৰালী আৰু হিমাদ্ৰী লৰি আহিল। গাড়ীৰ পৰা নামোঁতেই শিখাক আঁকোৱালি ল'লে দুইজনীয়ে। লগে লগে সিদ্ধাৰ্থৰ লগতে ভিতৰলৈ আগবাঢ়িল সিহঁত।

"ঠিকে আছা?" সিদ্ধাৰ্থহঁত আগবাঢ়ি যোৱাৰ পাছত অনুৰণে সন্ধ্যাক সুধিলে। উত্তৰত সন্ধ্যাই ওলোটাই সুধিছিল তাক,

Kaushik

"তুমি মানে এইটো স্পীডত আজিহে চলাইছা, নে সদায় এনেকৈয়ে চলোৱা গাড়ী?"

অনুৰণে হাঁহি মাৰি ক'লে,

"নাই, আজিহে।"

"দেখি লগা নাই মোৰ।"

সন্ধ্যাৰ কথাত হাঁহি থ'লে মাত্ৰ অনুৰণে।

কৰ্টত বিয়াখন হৈ গ'ল শিখা আৰু সিদ্ধাৰ্থৰ। সাক্ষী হিচাপে চন্দ্ৰালীহঁতে চহী কৰিলে। কামখিনি সম্পূৰ্ণ কৰিয়ে অনুৰণে গাড়ী ইউনিভাৰ্চিটীলৈ আগবঢ়ালে।

ইউনিভাৰ্চিটীৰ গেটৰ সমুখতে বাইক ষ্টেণ্ডত সিদ্ধাৰ্থৰ বাইকখন থৈ পথী আৰু অভিমন্যু ৰৈ আছিল। সন্ধ্যাহঁত আহি পোৱাত আগুৱাই গ'ল। সন্ধ্যা নামি আহি পথীক আঁকোৱালি ধৰিলে,

"বাৰে বাৰে কৈছিলোঁ তোক সাৱধান হ'বলে।"

"হেই, এইজনী। বাদ দে এইবোৰ। এতিয়া ব'ল। কইনাক উলিয়াব গৈ লাগে।"

পখীয়ে হাঁহি মাৰি ক'লে। সিহঁত ছোৱালী কেইজনীয়ে শিখাক লৈ ধনশিৰী হোষ্টেলৰ ফালে গ'ল। সন্ধ্যাই সোৱণশিৰীতেই উলিওৱাৰ কথা কৈছিল যদিও হিমাদ্ৰীয়েই ক'লে,

"নালাগে সন্ধ্যা। ধনশিৰীতেই কৰা। শিখা আগতে তাতে আছিল। তাকো এবছৰ প্ৰিফেক্ট। সেইখনো তাইৰ ঘৰৰ দৰেই। নিজৰ ঘৰখন নাপালেও সেই ঘৰখনৰ পৰাই কইনা সাজেৰে ওলাই আহিলে তাইৰ মনটো ভাল লাগিব।"

হিমাদ্ৰীয়ে তাইৰ চিনাকি এজনীক কৈয়ে থৈছে। তাইৰ ৰুমতে শিখাক উলিওৱাব পাৰিব। ধনশিৰীৰ ছিকিউৰিটীলৈকে চবেই শিখাক ভালদৰে চিনি পায়। গতিকে একো অসুবিধা নহয়। সিহঁত ধনশিৰীত সোমাওঁতে হঠাৎ ছিকিউৰিটী মাহী এজনীয়ে সন্ধ্যাক কিবা টোপোলা এটা দি ক'লে,

"ইয়াতে হালধি অকণ পিচি আনিছোঁ। তাইক ঘঁহি দিবা। মাহ হালধি অকণ নালাগিলে তাইৰ গাটো অশুচি হৈয়ে থাকিব।"

চকুপানী বৈ আহিছিল সন্ধ্যাৰ। অন্তৰত কিমান খিনি আন্তৰিকতা থাকিলে এইদৰে কৰিব পাৰে বাৰু?

"ওলাই আহা আইদেউৱে ঐ শচী

দুৱাৰদলি বাজ,

ঘৰতে নোৱাব মাৰে ঐ শচী

নকৰিবা লাজ।"

হালধি ঘঁহি শিখাক গা ধুৱাওঁতে চন্দ্ৰালীয়ে বিয়া নাম এজোলোকা দি গৈছে। গা ধোৱাই তাইক কইনাৰ সাজযোৰ পিন্ধাই দিলে সিহঁতে। লগতে অলংকাৰ কেইপদ। জুৰিয়ে আনি সাজু কৰিয়ে থৈছিল সেইবোৰ। মাজে মাজে বিয়া নামো গাই আছে,

"নবৌয়ে পিন্ধাব কাণৰে কেৰু,

সখীয়ে পিন্ধাব হাতৰে খাৰু।"

Kaushik

এইফালে শৰাইঘাটতো দৰাক সাজু কৰি আছিল অভিমন্যুহঁতে। দীপকেও কেঁচা হালধি অকণ পিচি থৈ গৈছিল। সেয়াৰেই নিয়মটো কৰি গা ধুৱালে সিদ্ধাৰ্থক। মূৰত নাৰ্জীৰ মালা, গাত চেলেং চুৰীয়া আৰু পাঞ্জাৱীৰে দৰাৰ সাজত সম্পূৰ্ণ সাজু হ'ল সিদ্ধাৰ্থ। দৰা শৰাইঘাটৰ পৰা ওলাই আহিল। খৰখেদাকৈ গাড়ীত উঠি ধনশিৰী পালেহি সিহঁত। ধনশিৰীৰ পৰা সন্ধ্যাই হাতত ধৰি নমাই আনিছে শিখাক। কইনাৰ সাজত সঁচাই বৰ ধুনীয়া লাগিছে তাইক। কোনো কোনোৱে কি নো হৈছে বুলি ঘূৰিও চাইছে। গাড়ীত উঠিল সিহঁত। পথী আৰু অভিমন্যু বাইকতে যাব। হিমাদ্ৰীয়ে সৰুকৈ উৰুলি এটাও দিলে। লগে লগেই গাড়ী আগবাঢ়িল মহাভৈৰৱৰ ফালে।

"নামা বোপা নামাচোন,

গাড়ীৰ পৰা নামাচোন,

অত ৰাতি ক'ত গ'ল

আমাৰ আগত কোৱাচোন।"

গাড়ীখন দেখিয়ে আগুৱাই আহি দীপকে বিয়ানাম জুৰিলে। দৰা কইনাক আগুৰি গোটেই কেইটা মন্দিৰৰ ভিতৰলৈ আগবাঢ়িল। মন্দিৰৰ ভিতৰত গৈ আচৰিত হৈছিল সিদ্ধাৰ্থ। কাৰণ ভিতৰত ৰৈ আছে সন্ধ্যাৰ মাক দেউতাক। কাকো নোকোৱাকৈ এই কামটো কৰিছিল সন্ধ্যাই। মনে মনে মাকহঁতক মাতি পঠাইছিল তাই। মাকহঁতে লখিমপুৰৰ সিদ্ধাৰ্থহঁতৰ ঘৰলৈও খবৰ দি থৈছিল। শিখাই যাতে সিদ্ধাৰ্থহঁতৰ ঘৰত কোনো অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'ব নালাগে, তাৰ বাবেই সন্ধ্যাই কাকো নোকোৱাকৈ দেউতাকক সকলো খুলি ক'লে। আৰু এতিয়া তাইৰ মাকহঁতৰ লগতে লখিমপুৰতো সিদ্ধাৰ্থহঁতৰ ঘৰত ন বোৱাৰীক আদৰিবলৈ সকলো সাজু।

হোমৰ যা যোগাৰ হৈয়ে আছিল। লগে লগে পুৰোহিতৰ বিধিমতে বিয়া আগবাঢ়িল। ভাই বৰণৰ কামখিনি কৰি আথৈ দিছিল অভিমন্যুয়ে। দেউতাক হৈ কন্যাদান কৰিছিল বকুল দাই। কইনাৰ সাজতো চকুলো বৈ আহিছিল শিখাৰ সকলোৰে আন্তৰিকতাত। এই ধাৰ তাই শুজিব পাৰিবনে!

kaushik

অৱশেষত বিয়াখন হৈ গ'ল। কিন্তু শেষৰ ফালে হে লাগিল কলিটো। সন্ধ্যাহঁতে ভবাৰ দৰে শিখাৰ মাকহঁত লখিমপুৰলৈ নগ'ল। তাৰ পৰিৱৰ্তে তেওঁলোক মহাভৈৰৱ ওলালহি। আহি পাইয়ে তৰ্জন গৰ্জন আৰম্ভ কৰি দিলে,

"কি বুলি ভাবিছে আমাক? ইমান সাহ। এনেকে ছোৱালী আনি বিয়া পাতে।"

সন্ধ্যাৰ মাক দেউতাকে পাৰেমানে বুজাবলৈ লাগিল যদিও পৰা নাই। মাকে চিঞৰি চিঞৰি কৈছে,

"ছোৱালী আমি জন্ম দিছোঁ। আমাৰ কথা কালৈ বিয়া দিওঁ নে ঘৰতে ৰাখোঁ।"

কাজিয়া বাঢ়ি যোৱাত সন্ধ্যা কান্দো কান্দো হ'ল। এনেতে অনুৰণ তাইৰ কাষলৈ আহিল,

"সন্ধ্যা, এইখিনিলৈকে সকলো তুমিয়ে চিন্তা কৰিছিলা। এতিয়া এইটো পৰিস্থিতিও তুমিয়ে চম্ভালিব লাগিব।"

"কিন্তু ৰণ, মই কেনেকৈ?"

"মই জানো। পাৰিবা তুমি। যোৱা আগবাঢ়া।"

"কিন্তু তেওঁলোকে যদি মোক...."

সন্ধ্যাৰ কৈ নহওঁতেই অনুৰণে ক'লে,

"মই আছোঁতো।"

শিখাৰ মাকহঁতে কিবা কিবি কৈয়ে আছিল। তাৰ মাজতে এইবাৰ সন্ধ্যা আগুৱাই আহি সকলোৱে শুনাকৈ শিখাৰ মাকহঁতক ক'লে,

"জানো, আপোনালোক শিখা বাৰ মাক দেউতাক। মাক দেউতাকৰ সন্তানক লৈ আশাৰ অন্ত নাথাকে । জন্মৰে পৰা সন্তানৰ প্ৰতিটো সিদ্ধান্ত নিজৰ ইচ্ছা অনুসৰি লয় তেওঁলোকে। কিন্তু যেতিয়া সন্তানে নিজৰ সিদ্ধান্ত ল'ব পৰাকৈ উপযোগী হৈ উঠে ; তেতিয়াও নিজৰ ইচ্ছা সমূহ সন্তানৰ ওপৰত জাপি দিয়াৰ অৰ্থ আছে জানো ? মাক দেউতাকে কেতিয়াও সন্তানৰ অহিত চিন্তা কৰি সিদ্ধান্ত নলয়, কিন্তু তেওঁলোকৰ নিজৰ আশা আকাংক্ষা পূৰণৰ স্বাৰ্থত এজন সন্তানে নিজৰ ইচ্ছাক জলাঞ্জলি দিব ই কেনে ধৰণৰ যুক্তি?"

Kaushik

সন্ধ্যাৰ কথাত অলপ সময়ৰ বাবে ৰৈ গৈছিল হুলস্থুলবোৰ। তাই আকৌ ক'লে,

"এটা কথা সঁচা যে কেৱল পিতৃ মাতৃৰ বাবেই এজন সন্তান পৃথিৱীলৈ আহে, কিন্তু জন্মদাতাৰ অৰ্থ জানো ভাগ্য বিধাতা? এবাৰ ভাবি চাবচোন পিতৃ মাতৃয়ে যদি সন্তানক জন্ম দি পৃথিৱীলৈ আনে তেন্তে সন্তানেও জানো তেওঁলোকক পিতৃত্ব আৰু মাতৃত্বৰ গৌৰৱ নিদিয়ে? সন্তান জন্মৰ আগলৈকে এগৰাকী নাৰী আৰু এজন পুৰুষ বিভিন্ন ৰূপত থাকে কাৰোবাৰ বাবে দাদা - বাইদেউ, কাৰোবাৰ ভাইটি - ভন্তি, কাৰোবাৰ পুত্ৰ - বোৱাৰী আদি। কিন্তু "মা" আৰু "দেউতা" এই সম্বন্ধতো কেৱল তেওঁলোকৰ সন্তানে হে প্ৰদান কৰে। তেন্তে সন্তানক জন্ম দিয়াৰ অধিকাৰেৰে তেওঁলোকৰ ইচ্ছা অনিচ্ছাক নিজৰ উচ্চাকাংক্ষাৰে হেঁচি সন্তানৰ ভাগ্য বিধাতা হোৱাৰ যুক্তি আছে জানো? এবাৰ ভাবি চাওঁক আপোনালোকে।"

এইবাৰ শিখাৰ মাকে সন্ধ্যালৈ চাই ক'লে,

"তেন্তে কি মাক দেউতাকৰ একো দায়িত্বই নাই মানে?"

সন্ধ্যাই আকৌ ক'লে,

"আছে, যদি সন্তানে ভুল কৰে তেন্তে শুধৰাই দিয়াৰ দায়িত্ব মাক দেউতাকৰ। কিন্তু বুকুত হাত থৈ ক'ব পাৰিব নে যে সিদ্ধাৰ্থ দাৰ লগত বিয়া হৈ শিখা বাই কিবা ভুল কৰিছে?"

প্ৰশ্নৰ উত্তৰ নাছিল কাৰো হাতত। কিবা এটা যেন বুজি পাইছিল তেওঁলোকে। শিখাৰ দেউতাকে আগুৱাই আহি ক'লে,

"ত্ৰিছ বছৰে মাষ্টৰী কৰিও শিকিব নোৱাৰা কথা এটা আজি মোৰ ছোৱালীৰ বয়সৰ এজনীয়ে শিকাই দিলে। ঈশ্বৰে তোমাৰ মংগল কৰক মা।"

শিখাৰ মাকেও চকুপানী মচি সন্ধ্যাৰ মূৰত হাত বুলাইছিল।

"মই শিখাক কেতিয়াও দুখত পৰিবলৈ নিদিওঁ দেউতা। আপোনালোকে চিন্তা নকৰিব।"

সিদ্ধাৰ্থইও ক'লে।

অৱশেষত সকলোৱে মানি লৈছিল। বিয়াৰ পিছৰ বিধিথিনিও সম্পন্ন হৈ গ'ল সকলোৰে সন্মতি ক্ৰমে।

Kaushik

বিয়াৰ পাছতে শিখাৰ মাক দেউতাকো লখিমপুৰলৈ ওলাল সিহঁতক থ'বলৈ। লগতে সন্ধ্যাৰ মাক দেউতাকো। সিদ্ধাৰ্থই সিহঁতকো জোৰ কৰিছিল যদিও প্ৰিয়ানুজে ক'লে,

"সকলো ঠিকেই হ'ল যেতিয়া আমি এতিয়া নাযাওঁ। পিছত একেবাৰে বিয়া খাবলৈহে যাম আৰু।"

শিখাই সন্ধ্যাক সাৱটি উচুপি উঠিল,

"ৰুণ, তুমি যিখিনি কৰিলা। মই পাহৰিব নোৱাৰোঁ।"

"আপোনালোকে ছোৱালী সাধি সাধি পাইছে দেই।" শিখাৰ মাকে সন্ধ্যাৰ মাকহঁতক ক'লে। সন্ধ্যাই আঁৰ চকুৰে অনুৰণলৈ চাইছিল। সিও হাঁহিছিল তাইলৈ চাই। দৰা কইনাৰ লগতে মাকহঁতো গাড়ীত বহিলগৈ।

Kaushik

প্ৰিয়ানুজৰ চিনাকি মানুহঘৰত গাড়ীখন দি ইউনিভাৰ্চিটীৰ বাছত বহিছেহি সিহঁত। সময় আবেলিয়ে হ'ল। অভিমন্যু আৰু পখী বাইকতে গৈছে। সন্ধ্যাৰ কাষত বহিল অনুৰণ। গাড়ীৰ চিটত মূৰ পেলাই শুই আছে সন্ধ্যা। কাণত হেডফোন। অনুৰণে জগোৱা নাই। গাড়ী আগবাঢ়িল ইউনিভাৰ্চিটীলৈ। সন্ধ্যা তেতিয়াও টোপনিত। বেচেৰীৰ ভাগৰবোৰ যেন এতিয়াহে লাগিছিল। গাড়ীৰ পাকত এবাৰ সন্ধ্যাৰ হাওলি পৰা মূৰটো আলফুলে ধৰি অনুৰণে তাৰ নিজৰ কান্ধত শোৱাই দিলে। খিৰিকীৰ গ্লাছখন খোলা আছিল বাবেই সন্ধ্যাৰ চুলিবোৰ চকুৰে মুখে পৰিছে। যাওঁ যাওঁ কৰা বেলিটোও আহি সন্ধ্যাৰ মুখত যেন জিৰাইছে। অনুৰণে তাইৰ চুলিখিনি কাণৰ কাষলৈ ঠেলি দি খিৰিকীৰ গ্লাছখন মাৰি দিলে। লগতে খিৰিকী পৰ্দাখন ৰ'দ পৰিব নোৱাৰাকৈ মেলি দিলে। বাছৰ লগতে দুলি দুলি অনুৰণৰ কান্ধত মূৰ থৈ শুই আছে সন্ধ্যা। অনুৰণে কেৱল পলক নজপোৱাকৈ চাইছে তাইলৈ। সন্ধ্যাৰ কাণৰ হেডফোনত বজা গানটোৰ কলিটো অনুৰণৰো কাণত পৰিছেহি,

"....Tere kandhe par rakhkar sar

Yoon hi kat jaye sari umar

Pal pal pal pal har pal har pal

Kaise katega pal har pal har pal....."

(আগলৈ)

#নিৰিবিলি

Part 94

সঁচা প্ৰেমত ঈশ্বৰৰ আশীৰ্বাদ থাকে বুলি কোৱা হয়, কিন্তু আচলতে প্ৰেম নিজেই ঈশ্বৰৰ এটি ৰূপ। প্ৰেম নামৰ অনুভৱটিৰ ৰূপত যেন ঈশ্বৰ প্ৰতিজন মানুহৰ হৃদয়ে হৃদয়ে স্থাপিত হৈ আছে। যিয়ে ইয়াক চিনিব পাৰিছে তেওঁৱেঁই জীৱন অমৃত পান কৰাৰ সুযোগ পাইছে। সিদ্ধাৰ্থ আৰু শিখাৰ মিলনো যেন প্ৰেমৰে এক শ্ৰেষ্ঠ নিদৰ্শন হৈ উঠিছিল। ইউনিভাৰ্চিটীৰ ইতিহাসত না আগতে এনে হৈছিল না আগলৈ হ'ব। এইয়া হয়তো প্ৰেমৰেই শক্তি যে তেজপুৰ বিশ্ববিদ্যালয়ৰ কঠোৰ নীতি নিয়মৰ মাজতো সন্ধ্যাহঁতে ইমান খিনি সাহস কৰি সিদ্ধাৰ্থহঁতৰ বিয়াখন পাতি দিলে। প্ৰেম যেতিয়া প্ৰাপ্তি হয়, তেওঁতকৈ ভাগ্যৱান আৰু কোন হ'ব পাৰে। এইক্ষেত্ৰত সিদ্ধাৰ্থ আৰু শিখা দুয়ো সঁচাই ভাগ্যৱান। বাকী যি নহওঁক, দুজন প্ৰেমাস্পদক একলগ কৰি দি সন্ধ্যা আৰু অভিমন্যুহঁত খুব সুখী হৈছিল।

Kaushik

"ৰখোৱা চোন অলপ।"

গৈ থকা বাইকখনৰ পাছফালে বহি থকা পখীয়ে হঠাৎ অভিমন্যুক ক'লে। সিদ্ধাৰ্থহঁতক ঘৰলৈ পঠাই সিহঁতো ইউনিভাৰ্চিটীলৈ উভতি আহিছিল। সন্ধ্যা, অনুৰণ, প্ৰিয়ানুজ, দীপক, ময়ূঁৰ, চন্দ্ৰালী আৰু হিমাদ্ৰী ইউনিভাৰ্চিটীৰ বাছতে গৈছে। অভিমন্যুৰ লগত সিদ্ধাৰ্থৰ বাইকখনত পখী আহিল। তাই এনেও বাছত ভাল নাপাই বাবে সন্ধ্যায়েই অভিমন্যুক পখীক লৈ যাবলৈ দিলে। সিহঁত আহি পৰোৱা চাৰিআলিৰে সোমাই ইউনিভাৰ্চিটীলৈ আগবাঢ়িছিল। এই ৰাস্তাটোত এখন সৰু দলং পায়। এটা সুঁতি বৈ গৈছে। তাৰ ওপৰতে দলংখন। সেইখিনি পাইয়ে পখীয়ে বাইকখন ৰখাবলৈ ক'লে। দিনটোৰ ভাগৰৰ অন্তত অভিমন্যুৰ ৰ'বলৈ মন নাছিল যদিও পখীয়ে কোৱাত বিৰক্তিৰে ব্ৰেক মাৰিলে। পখী নামি গ'ল। অভিমন্যুয়ে হেলমেটটো খুলি ক'লে,

"কি হ'লনো আকৌ?"

পখীয়ে একো নকৈ পকেটৰ পৰা ছিগাৰেটৰ পেকেটটো উলিয়ালে। তাৰ পিছত দলঙৰ ৰেলিঙত আওজি লাইটাৰটো মাৰি জ্বলালে। আবেলিৰ বেলিটোৱে তেতিয়া ঘূৰি যাবলৈ

যা যোগাৰ কৰিছিল। দলংখনৰ পৰা অস্ত আকাশখন গোটেইখন দেখা গৈছে। লগে লগে ফেৰফেৰীয়া বতাহজাক। ৰেলিঙত বহি পখীয়ে ছিগাৰেটটো হুপি ধোঁৱা খিনি এৰি দিছে। কুণ্ডলী পকাই ধোঁৱাবোৰ উৰি গৈছে।

"তুমি ছিগাৰেট খোৱা?" অভিমন্যুয়ে বাইকৰ ষ্টেণ্ড ডাল পেলাই সুধিলে। সি যেন অলপ আচৰিত হৈছিল।

"মদো খাওঁ।" পখীয়ে বেলিটোৰ ফালে চাইয়ে ক'লে। অভিমন্যু আহি তাইৰ কাষতে বহিলহি। পখীয়ে ছিগাৰেটৰ পেকেটটো আগবঢ়াই দিয়াত সিও এটা জ্বলালে। প্ৰথম হোঁপাটো মাৰি অভিমন্যুয়ে ক'লে,

"অথনি তুমি কথাটো কিয় কাকো ক'বলৈ নিদিলা? তোমাৰ ওপৰত হাত উঠাব কিয়?"

পখীৰ ওঁঠৰ কোণেৰে হাঁহি এটা পাৰ হৈ গ'ল। ঠিক হাঁহিও নহয়, হয়তো হুঁমুনিয়াহ। কিছু সময়ৰ আগৰ কথা মনত পৰিছিল তাইৰ।

শিখাৰ মাকহঁতে কথা পাতি থাকোঁতে অভিমন্যুৰ কাষ চাপি পখীয়ে কৈছিল,

"অভিমন্যু, শিখা বাহঁতৰ ঘৰত যি হৈছিল তুমি কাকো নোকোৱা যাতে।"

"কিয় নক'ম? শিখা বাৰ মাকে হাত তুলিছে তোমাৰ ওপৰত। তেওঁ ক্ষমা খুজিব লাগিব।"

অভিমন্যুৰ কথাত প্ৰতিবাদ কৰি পখীয়ে কৈছিল,

"চুপ থাকা। হাত মোৰ গাতহে তুলিছে। মই কৈছোঁ এইবোৰ কথা যাতে কোনেও গম নাপায়।"

অভিমন্যু নিশ্চুপ হৈ আছিল। একো নোকোৱাকৈ। সকলোৱে যেতিয়া সন্ধ্যাৰ প্ৰশংসা কৰি আছিল, অভিমন্যুয়ে আঁৰ চকুৰে পখীলৈ চাইছিল মাত্ৰ। তাই সদায়ৰ দৰেই মুখৰ হাঁহিটো পিন্ধি আছিল।

সেইবাবেই সেই কথাটো আকৌ উলিয়ালে সি। মুখৰ ধোঁৱাখিনি বাহিৰলৈ ঠেলি পখীয়ে লাহে লাহে ক'লে,

"মোক চৰ মাৰিছে বুলি গম পালে শিখা বা আৰু সিদ্ধাৰ্থ দাই নিজকেই ক্ষমা কৰিব নোৱাৰিলেহেঁতেন। ইফালে সন্ধ্যাই হয়তো খঙত শিখা বাৰ মাকক বেয়াকৈ ক'লেহেঁতেন।

Kaushik

ঠিক হৈ থকাখিনিও বেয়া হ'ল হয়। আৰু সকলোতকৈ ডাঙৰ কথা শিখা বাৰ মাকে কিদৰে মূৰ তুলিলে হয় কোৱা।"

"কিন্তু হ'লেও---"

অভিমন্যুক ক'ব নিদি পখীয়ে আকৌ ক'লে,

"একো নাই অ'। চৰহে, এনেকুৱা চৰ কিমান খালোঁ। এইবোৰ বাদ দিয়া, এনজয় দা চান চেট।"

পখীয়ে নতুনকৈ আকৌ এটা ছিগাৰেট জ্বলাইছে। অলপ আগুৱাই গৈ বেলিটোলৈ চাই ৰৈছে তাই। অভিমন্যুয়ে নিজেও বুজি পোৱা নাই, কিয় সি পখীক কোনোবাই হাত তোলাৰ কথাটো সহজ ভাৱে ল'ব পৰা নাই। এই উৎপতীয়া, দুষ্ট পখীজনীৰ মাজত ক'ৰবাত যেন কণমানি শান্ত ছোৱালী এজনী লুকাই আছে। তাৰ এনে অনুভৱ হয়। সি গৈ পখীৰ কাষত থিয় হ'ল। পখীলৈ চাই হাঁহি মাৰি ক'লে,

"তুমিও চান চেট ভাল পোৱা নে? সন্ধ্যাৰ লগত থাকি থাকি একেই হৈ গৈছা।"

"নাই নাই, ভাল নাপাওঁ। কিন্তু মাৰ যোৱা বেলিটোলৈ চাই মোৰ পুতৌ লাগে।"

পখীৰ কথাটো বুজি নাপাই অভিমন্যুয়ে আকৌ সুধিলে,

"পুতৌ লাগে? কিয়?"

পখীয়ে হাঁহি এটাৰে ধোঁৱাখিনি বেলিটোৰ ফালে উৰাই দি ক'লে,

"এই একেটা বেলিকে ৰাতিপুৱা উদয়ৰ সময়ত আমি সেঁৱা নকৰোঁ জানো? কিন্তু আবেলিৰ অস্ত যোৱা বেলিক কোনোবাই সেঁৱা কৰা দেখিছা?"

আচৰিত হৈছিল অভিমন্যু। অনবৰত চিঞৰ বাখৰ কৰি দৌৰি ফুৰা পখীয়েও এনে কথা কয় বুলি সিও ভবা নাছিল। অভিমন্যুয়ে একো নোকোৱাত পখীয়ে আকৌ ক'লে,

"সন্ধ্যা আৰু মোৰ পাৰ্থক্যও একেই। সন্ধ্যা পুৱাৰ সুৰ্য্যোদয়ৰ ৰ'দালি আৰু মই, পশ্চিমৰ মাৰ যোৱা বেলি। আচলতে আমি একেই। কিন্তু মানুহৰ দৃষ্টিত বেলেগ। এজনী উপাস্য আৰু এজনী অস্পৃশ্য।"

"তুমি তেনেকৈ কিয় ভাবিছা? কোনে কৈছে তোমাক অস্পৃশ্য বুলি? মই, নে সন্ধ্যাই? মই জানো, সন্ধ্যাইও তোমাক নিজৰ বায়েকৰ দৰে ভাল পায়।"

Kaushik

অভিমন্যুয়ে খুব শান্ত ভাৱে কোৱা কথাখিনিত পখীয়ে ক'লে,

"জানো। পৃথিৱীৰ সকলো মানুহৰে যদি সন্ধ্যাৰ দৰে এটা মন থাকিলহেঁতেন, পৃথিৱীখন খুব ধুনীয়া হ'লহেঁতেন। আচলতে কি জানা অভি---"

কৈ থাকোঁতেই হঠাৎ কিবা এটা ভুল হোৱাৰ দৰে পখী অলপ ৰৈ আকৌ ক'লে,

"ছৰী অভিমন্যু"

অভিমন্যুয়ে সামান্য হাঁহি মাৰি ক'লে,

"ইটচ অ'কে। ইউ কেন কল মি অভি।"

"না না। অভি নামটো সন্ধ্যাৰ মুখত শুনিহে ভাল লাগে। চবকে এইটো অধিকাৰ দি নিদিবা।"

পখীৰ কথাত অভিমন্যুয়ে আকৌ হাঁহিলে,

"আচলতে বহুতেই ভাবে মোৰ আৰু সন্ধ্যাৰ মাজত এতিয়াও কিবা---"

তাৰ কৈ নহওঁতেই পখীয়ে ক'লে,

"মই নাভাবোঁ। বুজি পাওঁ তোমালোকক। প্ৰেমিক প্ৰেমিকাতো বহুত আছে, কিন্তু প্ৰতিজন ল'ৰাৰ জীৱনত যদি সন্ধ্যাৰ দৰে এজনী বান্ধৱী আৰু প্ৰতিজনী ছোৱালীৰ জীৱনত অভিমন্যুৰ দৰে এজন বন্ধু থাকিলহেঁতেন, কেতিয়াও কোনো মানুহ অকলশৰীয়া নহ'লহেঁতেন। ইউ ব'থ আৰ লাকী এনাফ।"

অভিমন্যুয়ে ভবা নাছিল যে পখীয়ে সিহঁতৰ সম্পৰ্কটো বুজি পাব। সি ক'লে,

"থেংক ইউ পখী।"

পখীয়ে একো নকৈ মাত্ৰ ছিগাৰেট হুঁপিছে। কথা সলাবলৈকে অভিমন্যুয়ে সুধিলে,

"বাই দা ৱে, তোমাৰ আজিলৈকে প্ৰেম হোৱা নাই নে?"

শেষ হোৱা ছিগাৰেটটো ভৰিৰে মোহাৰি পখীয়ে ক'লে,

"এই প্ৰেম ছিগাৰেটৰ নিচিনাই বুইছা। ওঁঠত আনন্দৰ জোৱাৰ তোলে সঁচা, কিন্তু বুকুত এসাগৰ বিষো সৃষ্টি কৰে।"

অভিমন্যুয়ে হাত চাপৰি বজাই কৈ উঠিল,

Kaushik

"ক্যা বাত, ক্যা বাত, ক্যা বাত। তুম ত' ছুপা ৰুষ্টম নিকলি য়াৰ। একদম সন্ধ্যায়েই হৈ গৈছা পূৰা দেই।"

পথীয়ে অলপ হাঁহি লৈ ক'লে,

"কৈছোঁৱেই দেখোন, সন্ধ্যা আৰু মই একেই। বেলেগ মানুহেহে কৰিছে। বাই দা ৱে, যাওঁ ব'লা। ইহঁত পালেগৈয়ে চাগে। দেৰি হ'লে আকৌ গালি শুনিম সন্ধ্যা দাৰ্লিঙৰ পৰা।"

অভিমন্যুয়ে "ব'লা" বুলি পথীলৈ বাইকৰ ছাবিটো আগুৱাই দিলে। পথীয়ে ফুৰ্তিত চিঞৰি উঠিছিল,

"ৱাও, কেনেকৈ গম পালা? মোৰ সঁচাকৈ চলাবলে মন গৈছিল জানা নে?"

"মে বি, অলপ বুজা হৈছোঁ চাগে তোমাক।" অভিমন্যুয়ে ক'লে।

"উফ, এই চেনিৰ টেমাটো থাকিবই মানে ন? মই এবছৰ ডাঙৰ পিছে তোমাতকৈ।" কথাটো কৈ পথীয়ে বাইকত বহি ষ্টাৰ্ট দিলে। অভিমন্যুও হাঁহি মাৰি ক'লে,

"একো নাই, অভিষেক বচ্চনতকৈও ঐশ্বৰ্য ৰায় ডাঙৰ আছিল।"

পথীয়ে দুষ্টালিৰ সুৰত ক'লে,

"পিছে তুমি অভিষেক নহয় যে?"

"তুমিওতো ঐশ্বৰ্য নহয়।"

অভিমন্যুৰ কথাত জোৰকৈ হাঁহি উঠিছিল পথীয়ে,

"ফটুৱা ক'ৰবাৰ। বহাহি আহা।"

বাইকৰ পিছৰ ছিটত বহিলগৈ অভিমন্যু। পথীক নক'লেও সি জানিছিল, পথীক চেনি দি ফ্লাৰ্ট কৰি সি কোৱা নাছিল। কিয় জানো তাৰ মনটোৱে কৈছিল, বাইকখন পথীক চলাবলৈ দিয়াৰ কথা। আবেলিৰ বেলিটো নোহোৱা হৈছিল। ৰঙচুৱা আকাশখনে লাহে লাহে এন্ধাৰ বৰণীয়া চাদৰখন পিন্ধিছিল। যাযাবৰী বতাহজাকক ঠেলি ইউনিভাৰ্চিটীৰ ফালে গতি কৰিছিল পথী আৰু অভিমন্যুয়ে।

Kaushik

দুদিন পাছত সিদ্ধাৰ্থ আৰু শিখাৰ বিয়াৰ ৰিচিপশ্যন। ঘৰৰ বিয়া বাবে সন্ধ্যা আগতীয়াকৈ যাবলৈ ওলাল।

"মই নাযাওঁ নেকি!"

সন্ধ্যাই কাপোৰ জাপি থাকোঁতেই পথীয়ে ক'লে। কাপোৰ তাতে এৰি সন্ধ্যা তাইৰ ওচৰ পালেহি,

"পাগল নেকি? কিয় নাযাবি আকৌ? তই ইমান খিনি কৰিছ সিহঁতৰ কাৰণে। এতিয়া নাযাওঁ ক'লে হ'বনে?"

পথীৰ দুৰ্বল অজুহাতে সন্ধ্যাৰ ওচৰত হাৰ মানিছিল। অৱশেষত যাবলৈ মান্তি হ'ল তাই।

সন্ধ্যা গৈ পোৱাৰ পাছতে বিয়া ঘৰত উৎপাত আৰম্ভ। বিশ্বনাথ চাৰিআলিৰ পৰা পাপৰি, মুনমুন আৰু চুমি বাইঁতো আহি আছেহি সিদ্ধাৰ্থহঁতৰ ঘৰতে। সকলোৱে তাইক বেৰি লৈ কথাবোৰ সুধিবলৈ লাগি গ'ল,

"কচোন ক, কেনেকৈ পলুৱালি?"

"ঐ ৰুণজুন, তোৰ ভয় লগা নাছিল নে অলপো?"

"ৰুণ অ', আগলৈ কেতিয়াবা সহায় কৰিবি তইয়ে।"

প্ৰশ্নবোৰৰ লগে লগে এজাক হাঁহি ছিটিকি আহিছিল। শিখাকো সিহঁত কেইজনীয়ে জোকাই জোকাই মাৰিছিল। উৰণিৰ আঁৰত মিচিকিয়াই হাঁহিছিল শিখাই। সিদ্ধাৰ্থহঁতৰ মাক পূৰা সুখী। সকলোকে কৈ আছে,

"ভাগ্যত ছোৱালী এজনী নাছিল। এতিয়া সেইটোও পূৰ হ'ল।"

পাপৰিহঁতে সিদ্ধাৰ্থকো জোকাইছিল,

"ইচ, ধন দাৰ বিয়াত দৰা লগত যোৱাৰ সুখকণহে নহ'ল আৰু দেই।"

বেণ্ড পাৰ্টিৰ মাতত বিয়াঘৰ ৰমৰমীয়া হৈ উঠিছিল পুৱাৰে পৰাই। সকলো ব্যস্ত আলহী সোধাত। চুমি বাই অনা নীলা ৰঙৰ পাটৰ কাপোৰ যোৰ দুবাৰ পিন্ধালে পাপৰিয়ে। তাইৰ হেনো পচন্দই নহ'ল। শেষত সন্ধ্যাই গৈ পিন্ধাই দিয়াতহে ঠিক হৈছে। পাপৰিয়ে বিয়া বুলি শুনিয়ে মিচিং ছেট এযোৰ লৈছিল। ডাঠ মটীয়া ৰঙৰ। মাজত ৰঙা

Kaushik

হালধীয়া ফুল। মুনমুনে হে চাদৰ মেখেলা নিপিন্ধিলে। বগা ৰঙৰ লং ফ্ৰকটোৰে অৱশ্যে তাইক মৰমো লাগিছে। সকলোৰে শেষত ওলাবলৈ লৈছে আমাৰ সন্ধ্যা। এযোৰ পাটৰ চাদৰ মেখেলা পিন্ধিছে তাই। সিদ্ধাৰ্থই বিয়া বুলি উপহাৰ দিছে তাইক। চাদৰখন নীলা আৰু হালধীয়া দহি বটা। মেখেলাখন হালধীয়া মাজত নীলা নীলা ফুল। শিখাৰ কইনাৰ নতুন কাপোৰ যোৰ সন্ধ্যাই চাই আনিছে। পাতল সেউজীয়া ৰঙৰ কাপোৰযোৰত গোলপীয়া ফুলৰ মিনা কৰা। মুঠতে পিন্ধি উৰি আমাৰ বৰুৱা পৰিয়াল সাজু।

"ঐ, ফটো দে" - বিয়াত আটাইতকৈ বেছিকৈ চলা বাক্য এইটোৱেই চাগে। ইয়াতো একেই। চুমি বা, পাপৰিহঁতে ফটো উঠি ততেই পোৱা নাই। ধন দাৰ বিয়া, অকণ ষ্টাইল নকৰিলে হ'ব নেকি?

পিছে দিনটো বিয়াত সন্ধ্যাই লগৰখিনিলৈকে বাট চাই আছিল। অৱশেষত সকলো আহিল। অভিমন্যুহঁতৰ উপৰিও যেন গোটেই তেজপুৰ ইউনিভাৰ্চিটীখন উঠি আহিছে। লগত অনুৰণো। ক'লা ৰঙৰ ফুল চাৰ্ট এটা পিন্ধি আহিছে সি। হাতটো কোঁচাই লৈছে। ভৰিত জোতা। সন্ধ্যাই মাকহঁতৰ লগত চিনাকি কৰাই দিওঁতে তাৰ যি লাজ। এইফালে অভিমন্যুয়ে যে সন্ধ্যাৰ মাকক কৈয়ে দিলে,

"আন্টী, এইক লৈ কিন্তু সাৱধান দেই। সিদ্ধাৰ্থ দাৰ গোটেই প্লেন এইয়ে কৰিছিল।"

গোটেইবোৰৰ লগতে মাকেও হাঁহিছিল। সিহঁতবোৰ আহি পোৱাৰ পাছতে বিয়াঘৰৰ নক্সায়ে বদলি গ'ল। পখীৰ ওচৰ চাপি শিখাই তাইৰ হাতদুখনত ধৰি ক'লে,

"তোমাৰ আগত মুখ উলিয়াবলৈও বেয়া লাগিছে পখী। মায়ে মোক সকলোখিনি কৈছে। তেওঁ নিজেও কথা পাতিব তোমাৰ লগত। তাৰ আগতে মইও ক্ষমা খুজিছোঁ। প্লিজ বেয়া নাপাবা।"

"হেই বা, কি কৈছা এইবোৰ। আন্টী জানো মোৰ মাৰ দৰে নহয়?" পখীয়ে হাঁহি মাৰি কৈছিল।

বিয়াৰ মাজতে শিখাহঁতৰ ঘৰৰ মানুহো আহিল।

"এইয়া দেখোন আমাৰ ৰূপহী আৰু লাহৰী।" শিখাৰ খুৰীয়েকে সন্ধ্যা আৰু পখীক দেখি ক'লে। সিহঁতেও হাঁহিলে। বিয়াৰ মাজতে বেণ্ড পাৰ্টিত সকলোৰে লগত দীপকেই নাচৰ আৰম্ভণি কৰিলে। তাৰ পাছতেই অভিমন্যু, হিমাদ্ৰী, পখী, তৌফিক, প্ৰিয়ানুজ সকলোৰে

Kaushik

নাচ। অভিমন্যু আৰু দীপকে অনুৰণকো টানি টানি আনিছিল যদিও সি নানাচিলে। সকলোৱে নাচি থকাৰ সময়তে সন্ধ্যা সুযোগ বুজি অনুৰণৰ কাষত ৰৈছিলগৈ।

"ঐ ছোৱালী, বেছিয়ে ধুনীয়া লাগিছে আজি।" সন্ধ্যাৰ কাণৰ কাষত আহি কৈছিলহি সি।

"তুমি আহিবা যে। সেইকাৰণে ধুনীয়া হৈ আছোঁ।" সন্ধ্যাই হাঁহিটো মুখত লৈ ক'লে। অনুৰণেও হাঁহিছিল।

"তুমিও বৰ হেণ্ডচাম হৈ আহিছা পিছে।" এইবাৰ সন্ধ্যাই ক'লে।

"তুমি থাকিবা যে, সেইকাৰণে।" তাইলৈ নোচোৱাকৈ অনুৰণে কৈছিল।

"বদমাছ" বুলি আঁতৰি গৈছিল সন্ধ্যা। সকলোৰে লগতে তাইও নাচিব লাগিছিল। অনুৰণেও হাঁহি এটাৰে চাইছিল তাইলৈ। মাজতে সিদ্ধাৰ্থ আৰু শিখাইও নাচিলে। পৰ্বতৰ ঢেঁকীয়া লিহিৰী পতীয়াৰ পৰা দিখৌ নৈ এৰিব নোৱাৰোঁ লৈকে একো বাদ পৰা নাই। সিহঁত গোটেই কেইটাৰ ইমান দিনৰ চিন্তা, কষ্ট, ভাগৰ সকলো যেন নাচৰ মাজেৰে ওলাই গৈছিল। নাচৰ পাছতে সিহঁতক খোৱাবলৈ লৈ গ'ল সন্ধ্যাই। হাঁহ, মুৰ্গী, ছাগলীৰ মাংস বিধে বিধে সজাই থোৱা আছিল।

"ঐ, মোক হাঁহৰ মাংস দুবাটি লাগিব।"

অভিমন্যুয়ে সন্ধ্যাৰ কাণে কাণে কৈছিল।

"গৰহটো এইটো। হ'ব দে।" বুলি সন্ধ্যাই তালৈ এটা বাটি বেছিকৈ আনিছিল। দিনটো বিয়াতে ফুৰ্তি কৰি আকৌ ইউনিভাৰ্চিটীলৈ ওভতিছিল। গাড়ী ভাৰা কৰি নিছিল বাবে কোনো অসুবিধা নোহোৱাকৈ ইউনিভাৰ্চিটী আহি পাইছিলহি গোটেইবোৰ।

বিয়া শেষ হোৱাৰ পাছৰ পৰাই আকৌ ইউনিভাৰ্চিটীৰ জীৱনত ব্যস্ত হৈছিলহি সন্ধ্যাহঁত। গ্ৰেজুৱেচন প্ৰজেক্টৰ মূৰ দাঙিব নোৱাৰা ব্যস্ততা। চাৰিওফালে চবেই লাইব্ৰেৰীত ভিৰ কৰিছিলহি। দৈনিক ক্লাছৰ উপৰিও লাইব্ৰেৰীত কিতাপ খুচৰা, কম্পিউটাৰ চেন্টাৰত বহি ইন্টাৰনেট তহিলং কৰা, মাজে মাজে গাইডক লগ কৰি ড্ৰাফ্টবোৰ দেখুৱাই অহা এইবোৰৰ মাজতে ব্যস্ত হৈ আছিল সকলো। অভিমন্যুৰহে এইবোৰ জঞ্জাল নাই। বিএ বিএডৰ বাবে সিহঁতৰ প্ৰজেক্ট নাই। একেবাৰে ফাইনেল

Kaushik

ছেমত স্কুল ইন্টাৰ্ণছিপৰ ওপৰত এটা ৰিপৰ্ট বনাব লাগিব। গতিকে তাৰ ব্যস্ততা পিছৰ ছেমিষ্টাৰৰ পৰাহে আৰম্ভ হ'ব।

সন্ধ্যাৰ প্ৰজেক্টৰ এৰিয়া আছিল চিলড্ৰেন লিটাৰেচাৰ। এনেও তাই সৰুৰে পৰা শিশু সাহিত্যবোৰ ভাল পায়। বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি ল'ৰাৰ সাধুবোৰ শুনি ডাঙৰ হোৱা সন্ধ্যাই এতিয়াও ঘৰত পুৰণি সফুঁৰা, মৌচাক নাইবা ৰংমন খুচৰে। শৰাইঘাট প্ৰকাশনৰ কালজয়ী সাহিত্যবোৰ, অঘৰী ল'ৰা, মবি ডিক ইত্যাদিবোৰ এতিয়াও গ্ৰন্থমেলাৰ পৰা কিনে তাই। গতিকে এবাৰতে চিলড্ৰেন লিটাৰেচাৰেই বাছি লৈছিল। তাৰ বাবে ৰুডিয়াৰ্ড কিপলিঙৰ তিনিখন কিতাপ "কিম", "দা জংগল বুক" আৰু "জাষ্ট চ' ষ্টৰীজ"। এইকেইখন কিতাপৰ পষ্ট কলনিয়েলিজমৰ থিয়ৰী এনালাইচিছ কৰিবলৈ থিৰ কৰিছিল সন্ধ্যাই। গাইড শান্তিপ্ৰিয়া মেমে তাইৰ বিষয়টো শুনিয়ে ভাল পাইছে। গতিকে তেখেতৰ সহায়ত প্ৰজেক্টটো ভালদৰেই যাব বুলি সন্ধ্যাৰ বিশ্বাস।

Kaushik

প্ৰজেক্টৰ ব্যস্ততাৰ মাজতে আহি পাইছিলহি ভাৰ্চিটী উইক। পিছে সন্ধ্যাই এইবাৰ ভাৰ্চিটী উইকত বিশেষ ভাগ লোৱা নাই। নতুন ছোৱালী বহু কেইজনী আহিছে। সন্ধ্যাই সিহঁতকে দায়িত্ববোৰ ভগাই দিছে। আগৰে জুনিয়ৰ নৱনীতাহঁতো বহুখিনি পৰা হৈছে। গতিকে সন্ধ্যা অলপ আঁতৰি আছে। প্ৰজেক্টৰ বাবে ভাৰ্চিটী উইক বুলি প্ৰায় এমাহ পঢ়াৰ লগত সম্পৰ্ক শেষ কৰিলে তাইৰ প্ৰজেক্ট যে কম্প্লিট নহ'বগৈ। তাতে বি এৰ ফাইনেল ছেম বাবে পেপাৰ কেইখনো অলপ টান। তাইৰ কথা হোষ্টেলতো বুজি পাইছে বাবে কোনেও একো কোৱা নাই। অৱশ্যে তাৰ মাজতে তাই মাজে মাজে সিহঁতক দিহা পৰামৰ্শ দি গৈছে।

কাঞ্চনজংঘাৰ লগত পৰিছিল সোৱণশিৰী এইবাৰ। কোৰাচত ফাৰ্ষ্ট হৈছিল। বিহু নাচতহে থাৰ্ড হ'ল। এইবাৰ সকলোতে পাটকাইৰ যেন আধিপত্য বিস্তাৰ হৈছে। ধনশিৰী আৰু প্ৰাগজ্যোতিকাৰ লগত পেয়াৰিং হোৱা পাটকাইয়ে নাটক, বিহু সকলোতে প্ৰথম এইবাৰ। অভিমন্যুয়ে এইবাৰ নাটকৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা পাইছে। কেবিআৰত তাক অনুৰণে দাঙি লৈছিল। নিজৰ দলৰ নহ'লেও সন্ধ্যাৰো ভাল লাগিছিল। অভিমন্যুৰ কাৰণে নাটক কি সন্ধ্যাই জানে। সি তাইক কৈছিলোঁ, যে ইয়াত বিএ বিএড কৰাৰ পাছত সি নেচনেল স্কুল অৱ ড্ৰামাত এন্ট্ৰেন্স দিব। সি যে আৰু এবছৰহে থাকিব এইটো ভাবিলেই সন্ধ্যাৰ মনটো মৰি যায়। ক্লাছ বেলেগকৈ হ'লেও অনবৰত তাৰ লগতে থকা হয় তাইৰ।

এইবাৰ ভাৰ্চিটী উইকৰ মেইন ফাংচনত ইউনিভাৰ্চিটীৰ ৰাইজৰ বৰ বিশেষ একো উৎসাহ নাই। Techxetraৰ সেই বেয়া সময়বোৰ যেন পাহৰিব পৰা নাছিল কোনেও। প্ৰগ্ৰামটোত আগৰ দৰে একো উল্লাস নাই। সকলোৱে যেন চাব লাগে কাৰণে নিয়মটো কৰি চাইছে আৰু।

ফাংচন শেষ নোহোৱাকৈয়ে ৰুমলৈ ঘূৰি গৈছিল সন্ধ্যা। এনেও একো ভাল লগা নাই। পথীক বিচাৰিছিল যদিও নাপালে বাবে অকলেই গুছি গ'ল তাই। অভিমন্যুয়ে আগবঢ়াই দিছিল সোৱণশিৰীলৈকে। সন্ধ্যাক থৈ পাটকাইৰ ফালে উভতি আহোঁতেই হঠাৎ Essentialৰ সমুখত ল'ৰা এটাই ছোৱালী এজনীক নিৰিবিলিৰ ফালে লৈ গৈ থকা দেখিলে সি। এনেবোৰ প্ৰগ্ৰামৰ মাজত ল'ৰা ছোৱালীবোৰ সেইফালে যায়েই। ইয়াত এনেয়ে আচৰিত হ'ব লগা একো নাছিল। কিন্তু অভিমন্যু আচৰিত হৈছিল কাৰণ ছোৱালীজনীৰ হুঁচ প্ৰায় নাছিল। ল'ৰাটোৰ কান্ধত মূৰ পেলাই শুই আহিছে তাই। ল'ৰাটোৱে লৈ গৈ থকাৰ মাজতে তাই মুখেৰে কৈ গৈছে,

"মই হোষ্টেল যাম। প্লিজ।"

কিন্তু হোষ্টেল নিনি কি মতলবেৰে ল'ৰাটোৱে তাইক নিৰিবিলিৰ ফালে নিছে সেয়া সহজেই অনুমেয়। অভিমন্যু ৰ'ব নোৱাৰি আগুৱাই গ'ল,

"এক্সকিউজ মী।"

অভিমন্যুৰ মাতত ল'ৰাটোৱে ঘূৰি চাইছিল। লগে লগে আশ্বৰ্য্যত চকু ডাঙৰ হৈ গৈছিল অভিমন্যুৰ। কাৰণ চকু আধামেলা কৰি সম্পূৰ্ণ নিচাত ল'ৰাটোৰ কান্ধ মূৰ থৈ থিয় আছিল পথী।

"পথী, তুমি?"

অভিমন্যুৰ মাতটো পথীয়েও চিনি পাইছিল। সেয়ে তাই ক'লে,

"অভিমন্যু, মোক হোষ্টেল লৈ যোৱা প্লিজ।"

"হেই মিষ্টাৰ, ড'ন্ট ইউ হেভ এনি মেনাৰ্চ। উই আৰ কাপলচ। চ' প্লিজ।"

মদৰ নিচাত ভঙা ভঙা ইংৰাজী ওলাইছে ল'ৰাটোৰ মুখেৰে। অভিমন্যুয়ে খঙত হাতখন দেখুৱাই ক'লে,

"এনেকুৱা এপাত কাণতলীয়া চৰ দিম, মুখেৰে ইংৰাজী ফৰফৰাই ওলাই যাব।"

Kaushik

তাৰ পাছত ল'ৰাটোৰ হাতখন এৰোৱাই পথীক টানি নিজৰ কাষলৈ আনিলে সি। অভিমন্যুৰ খং দেখিয়েই হ'বলা ল'ৰাটোৱেও একো নকৈ উভতি গ'ল।

"পথী, ঐ পথী। এনেকৈ খাব লাগে নে বাৰু?"

অভিমন্যুয়ে সোৱণশিৰীৰ ফালে তাইক লৈ গৈ থাকোঁতে সুধিলে। পথীয়ে এটা এটাকৈ কৈ গৈছিল,

"মই-- মই বহুত বেয়া ছোৱালী অভি অভিমন্যু। মোক চবে বেয়া পায়। মা-- মা পাপাক মোৰ কথা কৈ ইনচাল্ট দিয়ে চবে। ম-- ম হেনো কেৰেক্টাৰ লেচ। পাপাহঁতে ব-- বহুত চাফাৰ কৰিছে জানা মো কা--কাৰণে।"

অভিমন্যুৰ দুখ লাগিছিল মনটো। সন্ধ্যাই মাজতে তাক কৈছিল পথীৰ কথাবোৰ। কিন্তু তাই কথা দি থোৱাৰ বাবে পথীক সি একো সোধা নাছিল। সমাজে বেয়া সজোৱা ছোৱালীবোৰৰো যে এটি কাহিনী থাকে, সেয়া শুনিবলৈ কোনোবা থাকে জানো? পথীক দুবাহুৰে সাৱটি মৰমেৰে কৈছিল সি,

"পথী, কোনে কৈছে তুমি বেয়া হা? তুমি চবতকৈ ভাল। এইবোৰ ফটুৱা মানুহৰ কথা নুশুনিবা। নিজক কষ্ট নিদিবা এনেকৈ।"

"নাই, মো-- মোক কোনেও ভাল নাপাই অভিমন্যু।" পথী যেন ফেঁকুৰি উঠিছিল।

"কিয় নাপাব? নিশ্চয় ভাল পাব।"

অভিমন্যুৰ কথাত পথীয়ে তাৰ চকুলৈ চাই সুধিছিল,

"তুমি ভাল পোৱা মোক?"

প্ৰথম বাৰৰ বাবে কিবা এক অচিনা বতাহ এচাটিয়ে যেন কোবাই গৈছিল অভিমন্যুক। নাই কোনো দিন সন্ধ্যাক আঁকোৱালি লওঁতে এই অনুভৱ হোৱা নাছিল তাৰ। প্ৰথম বাৰৰ বাবে কাৰোবাৰ প্ৰশ্নত বুকুখন কঁপি উঠিছে তাৰ। কিয় বাৰু? একো উত্তৰ নিদিয়াকৈ অভিমন্যুয়ে একেথৰে চাই ৰৈছিল পথীৰ ৰঙা পৰি থকা চকুযোৰলৈ।

(আগলৈ)

#নিৰিবিলি

Kaushik

Part 95

"ছৰী অ'।"

সন্ধ্যাই অথনিৰ পৰা একো নোকোৱা দেখি অনুৰণৰ মাতটো যেন থোকা থুকি হৈছিল। ভাৰ্চিটী উইকৰ মেইন ফাংচন সন্ধ্যাৰ এনেও ভাল লগা নাছিল। যাবৰো মন নাছিল তাইৰ। পাছত অভিয়ে জোৰ কৰাৰ বাবেই গ'ল। লগতে মনত এইটোও ভাৱ আছিল যে অনুৰণক লগ পাব। তাক কৈও থৈছিল। সেইবাবেই তাই ৰৈ আছিল তালৈ। কিন্তু নাই। অলপ সময় থকাৰ পাছতে সি কাৰোবাৰ লগত গুছি গ'ল। সেই গ'ল যি গ'লেই। আৰু নাহিল। ইফালে এই পথীজনীও কাৰোবাৰ লগত পাৰ্টি আছে বুলি এতিয়ালৈকেই দেখা দেখি নাই। সন্ধ্যা বহু সময় অভিমন্যুৰ লগতে ঘূৰি ফুৰিছিল। দুই একে সিহঁতক দেখি কিবা কাজিৰঙাৰ জন্তু চোৱাৰ দৰে চাইছিল। আজিকালি পিছে সিহঁতে এইটো উপভোগহে কৰে। হাঁহি উঠে মানুহৰ মানসিকতাত। বাৰু যি নহওঁক, কোনো নথকাত আমনি লাগি সন্ধ্যা ৰুম পালেহি। এতিয়া অনুৰণে ফোন কৰি সুধিছে,

"ক'ত আছা তুমি?"

সন্ধ্যাই মুখেৰে একো মতা নাছিল। তাই অনুৰণৰ ওপৰত খং দেখুৱাব নোৱাৰে। তাক একো টানকৈ ক'বও নোৱাৰে। কথা নাপাতোঁ বুলি ফোন কাটিও দিব নোৱাৰে। সেইবাবেই একো নকৈ ৰৈ আছিল। কিন্তু সন্ধ্যাই একো নক'লেও তাইৰ ঘন উশাহ কেইটিৰ ভাষা অনুৰণে ঠিকেই বুজিছিল। সেইবাবে কঁপা কঁপা মাতেৰে ক'লে সি,

"ছৰী অ'।"

এইবাৰ সন্ধ্যাই আৰু ৰ'ব নোৱাৰিলে। তাইৰ অভিমানৰ পাহাৰখন খহাবলৈ অনুৰণৰ এটি কৰুণ সুৰেই যথেষ্ট। তাইও সৰুকৈ ক'লে,

"একো নাই অ'।"

"লগৰ কেইটাই জোৰ কৰি ৰখালে। কি কৰোঁ কোৱা।"

একো নোকোৱাকৈয়ে যেতিয়া কোনোবাই কৈফিয়ৎ দি যায়, ভালপোৱাবোৰ তাতেই গভীৰ হৈ পৰে। সন্ধ্যাৰ বৰ মৰম এটা লাগি গৈছিল তালৈ,

"বুজি পাইছোঁ। একো নাই দিয়া।"

"হোষ্টেলৰ আগত যাওঁ নই?" অনুৰণে ক'লে।

Kaushik

"নালাগে অ'। পাৰিলে এটা কাম কৰা না। পথীক দেখা নেকি চোৱা চোন ফিল্ডত। এতিয়ালৈকে ৰুমলৈ অহা নাই তাই।"

কথা পাতি থাকিলেও সন্ধ্যাৰ মনত পথীৰ চিন্তাটো সোমাই আছিল। বিশেষকৈ সেই Techxetraৰ ঘটনাটোৰ পাছত এনেকুৱা প্ৰগ্ৰাম হ'লে এনেই কিবা ভয় ভয় লগা হ'ল। তাতে পথীৰ স্বভাৱো সন্ধ্যাই জানে।

"ঠিক আছে মই চাওঁ ৰ'বা।"

বুলি ফোনটো নকটাকৈয়ে অনুৰণে পথীক বিচাৰিলে ফিল্ডত। প্ৰগ্ৰাম প্ৰায় শেষেই, মানুহবোৰো লাহে লাহে উভতিছে। কিন্তু নাই, পথী ক'তো নাই। অনুৰণে মানুহৰ ভিৰৰ মাজত গৈও চাইছিল। কিন্তু নাপালে।

"ঐ, নাই চোন। হয়তো কাৰোবাৰ লগত হোষ্টেল গৈ আছে নেকি।"

অনুৰণৰ কথাত আৰু চিন্তা লাগিল সন্ধ্যাৰ,

"ঠিকে আছে। হ'ব দিয়া। মই এবাৰ অভিকো সুধি চাওঁ। তুমি দেখিলে ক'বা।"

"ঠিক আছে বাৰু।" অনুৰণে ক'লে।

ফোনটো সন্ধ্যাই কাটিবলৈ ঠিক লৈছিলেই। অনুৰণে আকৌ ক'লে,

"ঐ শুনা"

"অঁ, কোৱা।" কাটিবলৈ লোৱা ফোনটো সন্ধ্যাই আকৌ কাণত ল'লে। অনুৰণে তাৰ শান্ত মাতটোৰে কাতৰ ভাৱে সুধিছিল,

"তুমি বেয়াতো পোৱা নাই ন মোক?"

এটি হাঁহিৰ মিচিকণি বিয়পিছিল সন্ধ্যাৰ মুখত। তাই ক'লে,

"তোমাক পাৰোঁ জানো বেয়া পাব?"

"ঠিক আছে তেন্তে।" বুলি ফোনটো কাটিলে অনুৰণে। সন্ধ্যাই এবাৰ ফোনটো ওঁঠেৰে স্পৰ্শ কৰিলে। সিফালে অনুৰণেও বুকুত লৈছিল তাৰ ফোনটো। একো নোকোৱাকৈ কাহিনীটো তেনেকৈ আগবাঢ়িছিল।

Kaushik

ফোনটো থৈ সন্ধ্যাৰ আকৌ চিন্তা লাগিল। ক'ত গ'ল বাৰু এইজনী? ছেহ। বয়সত পথী সন্ধ্যাতকৈ এবছৰ ডাঙৰ। কিন্তু আচলতে যেন ওলোটাহে। সন্ধ্যা সৰু হৈও তাইহে চম্ভালিব লাগে পথীক। পথীৰ মাকেও কৈছিল এবাৰ সন্ধ্যাক,

"ৰুণজুন, আমাৰ এইক অলপ চাবা দেই। জানাই নহয় স্বভাৱটো।"

হাঁহি মাৰি মূৰ দুপিয়াইছিল সন্ধ্যাই। সেইবাবে পথী বেছি সময় চকুৰ আঁতৰ হৈ থাকিলেই চিন্তা লাগে তাইৰ। শেষত তাই কি কৰোঁ কি ক

নকৰোঁকৈ অভিমন্যুলৈকে ফোন লগালে।

"তুমি ভাল পোৱা মোক?"

পথীৰ মুখৰ এইষাৰ কথাই কিয় জানো কঁপাই দিছে অভিমন্যুক। বুকুৰ ভিতৰখনত যেন আগলি কলাপাত এখন হে আছে। কি ক'ব সি? ভাল পাইনে সি পথীক? তাইও পাই নে সঁচাকৈ? নে অকল মদৰ নিচাত কোৱা প্ৰলাপ?

কথাবোৰ ভাবি থাকোঁতেই ফোনটো বাজিল অভিমন্যুৰ। পথীক এহাতেৰে ধৰি সিটো হাতেৰে সি মোবাইলটো উলিয়ালে। সন্ধ্যাই ফোন কৰিছে। ৰিচিভ কৰোঁতেই তাই ক'লে,

"অভি, ফিল্ডত পথীক দেখিছ নেকি? এতিয়ালৈকে ৰুম অহা নাই তাই। দেখিছ যদি--"

সন্ধ্যাৰ কথাৰ মাজতে অভিমন্যুয়ে ক'লে,

"তাই মোৰ লগতে আছে, তই তললৈ আহ।"

সন্ধ্যা ততাতৈয়াকৈ তল পালেহি। পথীক দেখিয়ে সন্ধ্যাই ভোৰভোৰালে,

"হে ভগৱান, এইজনীৰ অৱস্থাটো চাচোন। ৰহ, তোৰ ফটো তুলি বৰমাহঁতলৈ নিদিওঁ যদি চাই থাক।"

"এ মেৰি জা---ন" বুলি পথীয়ে সন্ধ্যাৰ ফালে হাওলি আহিল। সন্ধ্যাই যেনে তেনে ধৰি ৰখাই অভিমন্যুক সুধিলে,

"ক'ত পালি এইক?"

অভিমন্যুয়ে যিমান পাৰি চমুকৈ ঘটনাটো ক'লে। সন্ধ্যাই ভিতৰলৈ পথীক লৈ গৈ মুখখন ধোৱালে। তাৰ পাছত কাপোৰ সলাই বিচনাত শোৱাই দিলে। বিচনাত পৰাৰ লগে লগে টোপনিত ঢলি পৰিল পথী। তাইৰ শান্ত মুখখন চাই সন্ধ্যাও বিচনাত পৰিল গৈ।

পথীক থৈ আহি কাঞ্চনজংঘাৰ সমুখৰ পুলটোতে বহিছেহি অভিমন্যু। প্ৰগ্ৰাম তেতিয়ালৈ শেষ যদিও দুটা এটা ল'ৰা ফিল্ডত ঘূৰি আছে। ছোৱালীখিনি হোষ্টেল পালেগৈ। ফিল্ডৰ লাইটোবোৰ বেছি ভাগেই অফ। মাত্ৰ এটা লাইটে নিজৰ পোহৰে গোটেই ফিল্ডখন বেৰিবলৈ বৃথা চেষ্টা চলাইছে যদিও সফল হোৱা নাই। প্ৰকাণ্ড ফিল্ডখনৰ এটা ফাল প্ৰায় এন্ধাৰ। সদায়ৰ দৰেই ৰাতিৰ চেঁচা তেজপুৰীয়া বতাহ জাক বলিবলৈ লৈছে। মাজে মাজে সৰাপাতবোৰ। ফাগুণৰ পৰশ লাগি এই বতাহজাক আৰু মাতাল হৈ পৰিছে। এই ঠাইখিনিত সাধাৰণতে সন্ধ্যা বেছিকৈ বহেহি। পিছে কেতিয়াবা অভিমন্যুও নবহা নহয়। কিবা বিশেষ কাৰণত ক'তো মন নবহিলে সি ইয়াতে বহে। পিছে আজি বিশেষ কাৰণ এটাই, "পথী"। এই ছোৱালীজনী যেন কিবা আচৰিত হৈ পৰিছে অভিমন্যুৰ বাবে। বেছিকৈ কথা নহ'লেও চোন অকলে থকাৰ সময়ত আজিকালি তাইৰ কথা ভবা যায়। বিশেষকৈ সেইদিনা আবেলি দলঙৰ ওপৰত তাই কোৱা কথাবোৰে চুই গৈছিল অভিমন্যুক। যাযবৰী ভাৱবোৰকে পাগুলি বহি থাকোঁতেই হঠাৎ পিছফালৰ পৰা কোনোবাই মাতিলে তাক,

"কি কৰিছ ইয়াত অকলে?"

ঘূৰি নাচালেওঁ মাতটোতে চিনি পাইছে অভিমন্যুয়ে। সেইটো ময়ূঁৰ। পুলটোৰ অলপ কাষলৈ গৈ সি ময়ূঁৰক ক'লে,

"বহ।"

"কচোন কি ভাবি আছ?"

তাৰ কাষতে বহি ময়ূঁৰে সুধিলে। অভিমন্যুয়ে ফিল্ডৰ ফালে চাইয়ে ক'লে,

"এটা কথা ক না, ৰাতিপুৱা উদয় হোৱা বেলি আৰু আবেলি মাৰ যোৱা বেলিৰ মাজত কোনটো ভাল পাঁৱ তই?"

"মই বেলি ভালেই নাপাওঁ।"

kaushik

ময়ূঁৰৰ কথাত তাৰ ফালে চাই অভিমন্যুয়ে সুধিলে,

"কিয় ভাল নাপাঁৰ?"

আকাশৰ ফটফটীয়া জোনাকখিনিলৈ চাই মিচিকিয়াই ময়ূঁৰে কৈছিল,

"কি লাভ ইমান উজ্জ্বল বেলি হৈ? যদি জোনৰ দৰে কোনেও মন ভৰি চাবই নোৱাৰে।"

আচৰিত হয় অভিমন্যু এই ল'ৰাটোৰ কথাবোৰত। প্ৰতিটো কথা কিদৰে এটা বেলেগ দৃষ্টিৰে চাব পাৰে বাৰু? অভিমন্যুৰ কেতিয়াবা এনে অনুভৱ হয় যে পৃথিৱীৰ এটা দিশত সিহঁত গোটেইবোৰ আছে আৰু আনটো বিপৰীত দিশত ময়ূঁৰ অকলে আছে। সঁচাই, কেতিয়াও কোনেও নভবা কথাবোৰ কিদৰে যে বুকুত লৈ ফুৰে ময়ূঁৰে।

অভিমন্যুয়ে একো নোকোৱাত ময়ূঁৰে আকৌ ক'লে,

"পিছে এইবাৰ জোন বেলিত লাগিলি যে, কাৰোবাৰ প্ৰেমত পৰিছ নেকি?"

হঠাৎ ধৰা পৰাৰ দৰে হোৱাত অভিমন্যু যেন অলপ অপ্ৰস্তুত হ'ল। লগে লগেই সি বহাৰ পৰা উঠি ক'লে,

"হেই, তোৰো যে কথা। ক'ৰ প্ৰেম ভাল হ'ব গে আকৌ মোৰ?"

ময়ূঁৰে বিদ্ৰূপৰ হাঁহি এটা মাৰি একো নক'লে।

"মই যাওঁ শোঁ গে। তই দেৰি নকৰিবি কিন্তু।" বুলি অভিমন্যু পাটকাইৰ ফালে খোজ ল'লে। সি জানে এই সময়ত ময়ূঁৰক হোষ্টেল লগ ধৰা লাভ নাই। সি এইখিনি সময় অকলেই পাৰ কৰে। কিয় কৰে তাক আজিলৈকে সোধা নাই কোনেও। অভিমন্যু যোৱাৰ পাছতে ময়ূঁৰে হাঁহি মাৰি কাষত বহি থকা ছাঁয়া মূৰ্তিটোক ক'লে,

"প্ৰেমৰ প্ৰথম লক্ষণ ফাঁকি। নে কি কোৱা ৰাধা?"

এচাটি বতাহ বৰ শব্দ কৰি বলিছিল। ফিল্ডৰ অন্তিম লাইটোও নুমাই যোৱাত এন্ধাৰে আৱৰিছিল ঠাইখিনি।

প্ৰজেক্ট চাবমিশ্যনৰ দিন ওচৰ চাপিছিল। লগতে মাষ্টাৰ্চবোৰৰ ডিজাৰ্টেচন। চাৰিওফালে দৌৰা দৌৰি। কাৰো যেন ৰ'বলৈ সময় নাই। ক্লাছৰুম, লাইব্ৰেৰী, এমিনিটী, Essentials

Kaushik

চবতেই যিয়ে যাকেই পাইছে অকল প্ৰজেক্টৰে আলোচনা। আনকি অফ ক্লাছত ডিপাৰ্টমেণ্টৰ কেন্টিনতো প্ৰজেক্টৰেই কথা।

সন্ধ্যাৰ লগতে পথীও এইবোৰত ব্যস্ত। ৰুমতো ভালকৈ সিহঁত কথা নহয়েই। ৰাতি দেৰিলৈকে এইবোৰেই কাম। সন্ধ্যা অলপ সোনকালে আজৰি হ'লেও পথীৰ ডিজাৰ্টেচনৰ নামত দিন ৰাতি একাকাৰ হৈ গৈছে। নহ'লে যে উপায়ো নাই। ইমান দিন কৰিম কৰিমকৈ পিছুৱাই থকাৰে ফল এইয়া। আৰু দুমাহ মানৰ পাছতেই পথীৰ মাষ্টাৰ্চ কম্প্লিট হ'ব আৰু তাই ইউনিভাৰ্চিটী এৰি যাবগৈ। কিন্তু এই ডিজাৰ্টেচনৰ ব্যস্ততাই যেন সেইবোৰ ভাবিবলৈও আহৰি দিয়া নাই। মাজে মাজে সন্ধ্যাৰ সেইটো মনত পৰি বেয়া লাগে, কিন্তু ইচ্ছা কৰিয়েই সেই ভাৱবোৰ আঁতৰাই ৰাখে তাই। এতিয়া মূঠতে প্ৰজেক্টটো কম্প্লিট কৰিব লাগে আগতে। কন্দা কটাৰ বাবে সময় পাছতো ওলাব।

সেইদিনা চাৰে দহটাৰ ক্লাছটো নহ'ল। পিছৰ ক্লাছটো আকৌ এঘণ্টাৰ পাছতে আছে। সন্ধ্যাই কিপলিঙৰ জাষ্ট চ' ষ্টৰীজখন লৈ কেন্টিনত বহিলহি। লগত এখন নোটবুক আৰু একাপ কফি। ফাইনেল ড্ৰাফ্টটো লিখাৰ আগত আৰু এটা লাষ্ট ড্ৰাফ্ট মেমক দেখুৱাব লাগিব। এতিয়ালৈকে তাই দিয়াৰ ভিতৰত দুই এটা সৰু ভুলৰ বাবে বাকী ঠিকেই আছে বুলি কৈছে মেমে।

Kaushik

ক্লাছৰ সময় হোৱাৰ বাবেই কেন্টিনত বেছি মানুহ নাই। চুকৰ টেবুলখনকে সন্ধ্যাই বাছি লৈ চকীত বহি কিতাপখন চাই আছিল। মাজে মাজে কফিত চুমুক দি আছে।

"সন্ধ্যা বা, কি খবৰ?"

মাত শুনি সন্ধ্যাই মূৰ তুলি চালে। সেইজনী তাইৰ জুনিয়ৰ ৰিম্পী। সন্ধ্যাই নোটছ দিয়াৰ পাছত তেনেকৈ কথা পতা হোৱাই নাই তাইৰ লগত। মাজে মাজে অৱশ্যে ৰাস্তাত দেখিলে ৰিম্পীয়ে দূৰৈৰ পৰা হ'লেও "সন্ধ্যা বা" বুলি চিঞৰে। ৰিম্পী সমুখলৈ অহাত সন্ধ্যা এমোকোৰা হাঁহিৰে ক'লে,

"মোৰ ভালেই। তোমাৰ কোৱা।"

"আছোঁ আৰু দিয়া। পিছে বা, তোমালোক কিন্তু কম নহয় দেই। সিদ্ধাৰ্থ দাৰ কথাটো সিদিনাহে গম পালোঁ। মেইন প্লেনাৰ বোলে তুমিয়েই।"

ৰিম্পীৰ কথাত সন্ধ্যাৰ হাঁহি উঠিল। কথাটো লাহে লাহে কেম্পাছত ওলাইছে। সন্ধ্যাক যিয়ে পাইছে চবেই কৈছে। তাইও হাঁহি মাৰি থয়। তাই একো নোকোৱা দেখি ৰিম্পীয়ে আকৌ সুধিলে,

"বা, কথা এটা সোধো বেয়া নোপোৱাতো?"

"নাপাওঁ দিয়া। সোধা।" সন্ধ্যাই ক'লে।

"তোমাৰ বাৰু অভিমন্যু দাৰ লগত ব্ৰেক আপ হ'ল নেকি?"

ৰিম্পীৰ কথাৰ লগে লগেই পিছফালৰ পৰা আহি থকা অভিমন্যুয়ে টপককৈ মাত দিলে,

"হয় অ', ব্ৰেক আপ হ'ল। এতিয়া তুমি ট্ৰাই কৰি চাম ভাবিছা নি মোৰ লগত?"

ৰিম্পীয়ে থতমত খাই গ'ল। ঘপকৈ অভিমন্যু আহি ওলাব বুলি তাই ভবাই নাছিল। সন্ধ্যাৰ হাঁহিত অৱস্থা নাই।

"কিয় ইমান ফটুৱা তই?" বুলি অভিমন্যুক ধমকি মাৰি সন্ধ্যাই ৰিম্পীক ক'লে,

"ৰিম্পী, ই ধেমালি কৰিছে। বেয়া নাপাবা।"

ৰিম্পীয়ে কওঁ নকওঁ কৈ ক'লে,

"এক্সুৱেলী মোৰ ফ্ৰেণ্ড এজনে সন্ধ্যা বাক লাইক কৰে, চ' মই--"

লগে লগে অভিমন্যুয়ে কৈ উঠিল,

"ন' ন' ন'। সন্ধ্যা ইজ চিংগল বাট নট ৰেডি টু মিংগল দেই। বেটাৰ লাক নেক্সট টাইম।"

"অকে" বুলি ৰিম্পী আঁতৰি যোৱাৰ পাছত সন্ধ্যাৰ সমুখৰ চকীখনতে বহিল অভিমন্যু। সন্ধ্যাই ক'লে,

"কি হ'ল অ'? তই চিধাই নট ৰেডি টু মিংগল বুলি কৈ দিলি যে?"

"অঁ, ক'লো। তই এতিয়া যাৰ তাৰ লগত ৰিলেশ্যনত আহিব নোৱাৰতো।"

সন্ধ্যাৰ পৰা কফি কাপ লৈ মুখত চুমুক দি অভিমন্যুয়ে ক'লে। সন্ধ্যাই আকৌ সুধিলে,

"কিয়? তই কি আকৌ পতাবি নেকি মোক?"

Kaushik

"গৰু৷ আৰু কাম নাই মোৰ?" অভিমন্যুয়ে ক'লে। তাৰ সুৰত সন্ধ্যাই হাঁহি হাঁহি সুধিলে,

"ডেন কিয় তেনেকৈ ক'লি?"

হঠাৎ অভিমন্যু গহীন হৈ ক'লে,

"ইউ নেভাৰ ন'। মে বি চাম ৱান ইজ ৱেটিং ফৰ ইউ।"

"কোন? কাৰ কথা কৈছ?" সন্ধ্যা যেন অলপ অপ্ৰস্তুত হ'ল। ভয় লাগিছিল, কেনেবাকৈ অভিয়ে অনুৰণৰ কথা কোৱা নাইতো! অভিমন্যুয়ে দুষ্টালিৰ হাঁহি মাৰিলে,

"সেইজনৰ কথাই কৈছোঁ, যাৰ নাম এই সময়ত তোৰ মনলৈ আহিছে, বাট মুখত ল'বলৈ ভয় কৰিছ।"

সন্ধ্যাৰ বুকুখন চিৰিংকৈ গৈছিল। তাৰমানে ই! ধৰা পৰাৰ ভয়ত তাই যাবলৈ ওলাল।

"হৈছে আৰু, তোৰ এই ফকটিয়া প্ৰেডিকচনবোৰ তোৰ লগতে ৰাখ।"

"আৰে বহ না। যাঁৱয়ে নে?"

"তোৰ লগত লেকচাৰ মাৰিবলৈ মোৰ টাইম--"

সন্ধ্যাৰ কথাটো শেষ নহওঁতেই তাইৰ ফোনটো বাজি উঠিল। পখীয়ে কৰিছে। হাতেৰে কিতাপ আৰু নোটবুকখন বেগত ভৰাই থাকিয়ে ফোনটো কাণৰ কাষত লৈ বাহুটোৰে হেঁচা মাৰি সন্ধ্যাই ক'লে।

"ঐ ক।"

"ক'ত আছ? মোক কেন্টিনত কিবা এটা খোৱা চোন। আজি ব্ৰেক ফাষ্টো নকৰিলো আৰু পইছাও নানিলোঁ।" পখীয়ে ক'লে সিফালৰ পৰা।

"মই লাইব্ৰেৰী যাব ওলাইছোঁ। কাম অলপ আছে। তই কেন্টিন আহ। অভি আছে ইয়াতে। মই তাৰ তাতে হাণ্ড্ৰেড এটা দি যাওঁ।"

সন্ধ্যাই ফোনটো কাটি অভিমন্যুলৈ এশ টকা এটা আগবঢ়াই ক'লে,

"পখী আহি আছে। তই অলপ ৰৈ দেচোন। মোক গাইডে বুক এখন আনিব দিছিল লাইব্ৰেৰীৰ পৰা। অফ ক্লাছটোতে লৈ আনোঁ।"

Kaushik

এশ টকাটো লৈ অভিমন্যু ৰৈ গ'ল কেন্টিনতে। অলপ পাছত দৌৰা দৌৰিকৈ পথী আহি পালেহি। আহিয়ে তাই চিকেন পেটিচ, কফি আৰু লালমোহন এটা ল'লে। একাপ কফি অভিমন্যুলৈও আগবঢ়ালে। পেটিছটোত কামোৰ মাৰি তাই ক'লে,

"ডিজাৰ্টেচনে অৱস্থা বেয়া কৰি দিছে জানা নে। তোমালোকৰে ভাল দেই এইবোৰ ঝামেলা নাই।"

অভিমন্যুয়ে একো নকৈ মাত্ৰ হাঁহি এটাৰে পথীলৈ চাই ৰৈছিল। পথীয়ে অনৰ্গল কৈ গৈছে,

"মোৰ যে গাইডো বৰ কামোৰ জানা। ডেইলি প্ৰগ্ৰেছ ৰিপোৰ্ট বিচাৰে। ইমান যে অশান্তি। গোটেই ৰাতি লিখোঁ। তেও যে কাম শেষেই নহয়। ইফালে ফিল্ডতো যাব লাগে। লগতে ক্লাছৰ পেপাৰ বোৰ আছে। আৰু যে কি জানা---"

পথীৰ কথা যেন শেষেই নহ'ব। অভিমন্যুয়ে মাত্ৰ তাইলৈ চাই শুনি গৈছে। সি অনুভৱ কৰিছে, গোটেই ইউনিভাৰ্চিটীৰ চঞ্চল পছোৱাৰ দৰে দৌৰি ফুৰা সি এই ছোৱালীজনীৰ সমুখত যেন সাংঘাতিক ভাৱে শান্ত হৈ পৰিবলৈ লৈছে। যোৱা তিনি বছৰে এই ধৰণে সি সন্ধ্যাকো এদিনো চাই পোৱা নাছিল। না তাইৰ ওচৰত এইদৰে শান্ত হৈ পৰিছিল। ক'ৰবাত যেন অভিমন্যুয়ে বুজিবলৈ লৈছে ভালপোৱাৰ পৰিভাষা।

"হেই, কি হ'ল?"

আঙুলি দুটাৰে অভিমন্যুৰ মুখৰ আগত টিলিকি বজাই পথীয়ে সুধিলে। হঠাৎ সাৰ পোৱাৰ দৰে চঁক খাই উঠিছিল অভিমন্যু,

"হা, নাই। একো নাই।"

"অভিমন্যু, তোমাক কথা এটা ক'ব লগা আছিল।" পথী এইবাৰ শান্ত হৈ ক'লে।

"কোৱা আকৌ।"

পথীয়ে লাহে লাহে কৈ গ'ল,

"সিদিনা ৰাতি মই বৰ পাগলামি কৰিছিলোঁ। তোমাক নক'বলগীয়া কিবাও কৈ পেলালোঁ। আচলতে নিচাত আছিলোঁ কাৰণে একো হুঁচ নাছিল। বেয়া নাপাবা তুমি। আই এম ছৰী।"

"নাই নাই, বুজি পাইছোঁ মই। নাই পোৱা বেয়া।" অভিমন্যুয়ে ক'লে।

Kaushik

"এও প্লিজ সন্ধ্যাক এইবোৰ নক'বা। তাই যে কি বুলি ভাবিব মোক।"

পথীৰ কথাত সামান্য হাঁহি অভিমন্যুয়ে ক'লে,

"নকওঁ দিয়া।"

"ঠিক আছে। মই যাওঁ হা এতিয়া। ক্লাছ আছে আকৌ। বাই বাই।"

দৌৰা দৌৰিকৈ ওলাই গ'ল পথী। এবাৰ দুৱাৰখনৰ ওচৰৰ পৰা তালৈ উভতি চালে তাই। একো কোৱা নাছিল। কিন্তু পথীৰ চকুতো আছিল কিবা ভাল লগা হাঁহি। অভিমন্যুৰ ওঁঠতো বহু সময় লৈ লাগি ৰৈছিল হাঁহি এটা। এৰা,কেতিয়াবা চকুৱেও কথা পাতে আৰু কেতিয়াবা হাঁহিয়ে। প্ৰেম হয়তো এনেকৈও হ'ব পাৰে।

সময়ৰ লগে লগে প্ৰজেক্ট ছাবমিশ্যন হৈ গ'ল। সন্ধ্যাই ভবাতকৈ বহুখিনি ভালেই হৈছিল।

Kaushik

বেলেগে একো নুসুধিলেও মৃণালিনী মেমে সুধিছে,

"Why did you choose children's literature for this project?"

সন্ধ্যাই উত্তৰ দিছিল,

"Though the children's literature is written for small children's but there also we will find some small small things which works as a moral lesson for small children. Like wise there are many story books where they show girls doing handloom works or they show girls taking care of the house or doing the household chores which can bring a great impact on child's mind about the gender role."

সন্ধ্যাৰ লগে লগেই তাইৰ গাইড শান্তিপ্ৰিয়া মেমেও কৈছিল,

"Likewise here the imparial power is also reflected where it shows the dominant power of the Britishers which the readers after reading the books they accept the things that was there and which effects them psychologically."

শান্তি মেমক এইবাবেই ভাল লাগে। কেতিয়াও নিজৰ ষ্টুডেন্টক অকলে নেৰে তেখেতে। সকলোৱে ভাল পাইছিল সন্ধ্যাৰ presentation। তাৰ ঠিক দুদিন মানৰ পাছতে পথীহঁতৰো ডিজাৰ্টেচনৰ চাবমিশ্যন শেষ।

লাহে লাহে ফেয়াৰৱেলৰ বতাহ এচাটি বলিছিল। পথীৰ লগতে অভিমন্যুৰ ৰুমমেট প্ৰিয়ানুজৰো এইবাৰ শেষ। লগতে দীপক আৰু তৌফিকৰো। এই মাত্ৰ দুবছৰতে সিহঁত

এটা পৰিয়ালৰ দৰেই হৈ পৰিল। কত যে কাহিনী পাৰ হ'ল। প্ৰিয়ানুজে TUতে পি এইচ ডি দিব বাৰু। কিন্তু দীপকহে ঘৰত থাকিব। ইফালে তৌফিকে ই টিভি ভাৰতত ইন্টাৰভিউ দি থৈছে। যদি পাই তেন্তে চাকৰিয়ে কৰিব হেনো। অৰ্থাৎ সিহঁত মাত্ৰ কেইটামান দিনৰ পাছতে ছেদেলি ভেদেলি হৈ যাব। আৰু এবছৰৰ পাছত অভিমন্যুও গুছি যাব ইয়াৰ পৰা। মাত্ৰ ৰৈ যাব স্মৃতিবোৰহে। ছবিবোৰ ৰৈ যাব মনত। বহুদিনৰ পাছত কেতিয়াবা হঠাৎ মনত পৰিব, হয়তো নষ্টালজিয়াত পাৰ হ'ব এটা উদাসী নিশা।

পথীহঁত যোৱাৰ সময় কাষ চাপি অহাৰ লগে লগে অভিমন্যু যেন কিছু অস্থিৰ হৈ পৰিছে। কোনোবা সময়ত সি ভাবে পথীক কথাটো কৈয়ে দিব নেকি, কোনোবা সময়ত আকৌ ভাবে ক'ব জানো? এবাৰ প্ৰেম বুলি এটা সম্পৰ্ক হেৰুৱাবলৈ লৈছিল সি। আকৌ যদি তেনেকুৱা কিবা হয়! কিন্তু সেই বুলি পথীক এইদৰে হেৰুৱাই দিব নে? নাজানে, একো নাজানে সি। শেষত অভিমন্যুয়ে ভাবিছিল এই কথাবোৰ সি ময়ূঁৰক ক'ব। ময়ূঁৰে ধৰা বহু আগতেই পেলাইছিল যদিও তাক ফাঁকি দি আঁতৰি ফুৰিছিল অভিমন্যু। কিন্তু এতিয়া আৰু ফাঁকি দিয়াৰ সময় নাই। এনেও, ময়ূঁৰৰ বাহিৰে এইখিনি কথা ক'ব পৰা আৰু কোন আছেনো অভিমন্যুৰ! সি ঠিক কৰি পেলাইছিল।

বিচনাতে পৰি কথাবোৰ পাগুলি থাকোঁতেই প্ৰিয়ানুজে চিঞৰিলে,

"কি হ'ল অভিমন্যু? এনেকৈ শুই থাকিলে কাম হ'ব গৈ নে? ব'লা আকৌ। বজাৰ কৰিব লাগে নহয়।"

অভিমন্যুয়ে পাহৰিছিলেই। আজি ৰুমত সিহঁতে মাংস বনাই খোৱাৰ প্লেন আছে। সিহঁত মানে অভিমন্যু, প্ৰিয়ানুজ, অনুৰণ, ময়ূঁৰ, দীপক আৰু তৌফিক। আজি দিনতে ঘপকৈ প্লেনটো বনিলে। অনুৰণে মাংস বনোৱাৰ দায়িত্ব নিজে ল'লে। সি ভাল বনাই হেনো। দীপকে তাৰ লগৰ এটাৰ পৰা ইণ্ডাকচন আনিম কৈছে। অভিমন্যু আৰু প্ৰিয়ানুজে বজাৰৰ দায়িত্ব লৈ থৈছিল। সেইবাবেই অভিমন্যুক মাতিছেহি। লৰালৰিকৈ ওলাই গ'ল সিহঁত। ইউনিভাৰ্চিটীৰ গেটৰ কাষতেই কেইবাখনো মাংসৰ দোকান। ব্ৰইলাৰৰ দোকানেই বেছি যদিও অলপ আঁতৰলৈ গ'লে দুই এখনত ছাগলী মাংসও পায়। এক কেজি পঠাৰ মাংস ল'লে সিহঁতে। লগতে বনাবলৈ আন আন বস্তুবোৰ। বাহিৰতে পথী আৰু সন্ধ্যাকো লগ পালে। সন্ধ্যাই প্ৰিয়ানুজক সুধিলে,

Kaushik

"প্ৰিয়ানুজ দা, ৰুমত পাৰ্টি যেন পাইছোঁ।"

"এই এনেই আৰু সৰু সুৰাকৈ।"

"ঐ, আমালৈকো পঠাই দিবি মাংস।" পখীয়ে প্ৰিয়ানুজক ক'লে।

প্ৰিয়ানুজৰ হৈ অভিমন্যুয়েই ক'লে,

"তোমালোকক নিদিয়াকৈ আমি খাব পাৰিম নে?"

"ঐ, মাংসহে খুজিছোঁ। চেনি নহয়।"

সন্ধ্যাৰ কথাত চবেই জোৰকৈ হাঁহি উঠিল।

ৰাতিলৈ ৰুমত পাৰ্টি। দীপকে চকুপানী টুকি টুকি পিয়াজ কুটি আছে। অভিমন্যুয়ে মাংস ধুই আনিলে। প্ৰিয়ানুজ আৰু তৌফিকে আলু বখলিয়াইছে। অনুৰণে ইণ্ডাকচনটো সাজু কৰিছে। আৰু ময়ূঁৰ সদায়ৰ দৰেই বিচনাত। মাজে মাজে অভিমন্যুয়ে চিঞৰে,

"ঐ, নামচোন। কিবা এটা কৰ।"

লগে লগেই দীপক নহ'লে প্ৰিয়ানুজে কয়,

"আমি কৰিয়ে আছোঁ চোন। কিয়নো জোকাই আছা তাক।"

"আপোনালোকে মৰম কৰি কৰি বেয়া কৰিছে ইয়াক।"

অভিমন্যুৰ কথা শুনি ময়ূঁৰে হাঁহি মাৰি প্ৰিয়ানুজলৈ চাই কয়,

"আপোনালোক যোৱাৰ পাছত যে ই মোক কি কৰিব ঠিক নাই প্ৰিয়ানুজ দা।"

অভিমন্যুৰ কথা অৱশ্যে মিছাও নহয়। প্ৰিয়ানুজহঁত গোটেই কেইটাই খুব বেছিয়ে মৰম কৰে ময়ূঁৰক। সেইবাবে অভিমন্যুয়ে কিবা কথাত কেতিয়াবা গালি পাৰিলেও প্ৰিয়ানুজ নহ'লে তৌফিকে আহি তাৰ হৈ থিয় দিয়ে। মৰম আকলুৱা ময়ূঁৰো সকলো পাই আগতকৈ বহুখিনি সলনি হৈছিল।

সকলো কাটি বাছি হোৱাত অনুৰণে মাংস বঢ়াই দিলে আৰু বনাবলৈ লাগিল। এইফালে বিচনাত বহি আড্ডা মাৰিবলৈ লাগিল অভিমন্যুহঁত। টপিক সদায়ৰ দৰে একেই, "ভূত"।

"মোৰ দাদা গুৱাহাটী ইউনিভাৰ্চিটীৰ নহয়, তাত এবাৰ বুইছা কি হ'ল?"

Kaushik

তৌফিকে আৰম্ভ কৰাৰ লগে লগে গোটেই কেইটা ওচৰ চাপি আহিল।

"এবাৰ সিহঁতৰ হোষ্টেলৰ ওপৰৰ ছাদৰ পৰা ল'ৰা এটা তললৈ পৰিল।"

"ইচ ইচ, মৰিল নেকি?" দীপকে সুধিলে।

"নমৰিব নে? মৰিল। তাৰ পাছৰ পৰাই যিটো সময়ত সি পৰিছিল সেই সময়টোতে গোটেই হোষ্টেলটোত এটা চিঞৰৰ ৰাওচি শুনা যায়।"

"কি?" দীপক উচপ খাই উঠিল। তৌফিকে মাতটো আৰু ভয় লগা কৰি কৈছে,

"অঁ। আৰু আচৰিত কথাটো হ'ল চিঞৰটো অকল হোষ্টেলত থকাবোৰেহে শুনে হোষ্টেলটোৰ বাহিৰত থকা কোনেও নুশুনে। সদায় সেই সন্ধিয়াৰ সময়ত চিঞৰটো আহে আৰু কাৰেন্ট যায়।"

আচৰিত সংযোগ! শেষৰ কথাটোৰ লগে লগে ঘপকৈ নুমাই গ'ল লাইটটো।

"ঔ আই মৰিলোঁ" বুলি দীপকে একে জাঁপে প্ৰিয়ানুজৰ কোঁচত উঠিলগৈ। এক মূহুৰ্তৰ বাবে প্ৰিয়ানুজহঁতেও চঁক খাই গৈছিল। পিছে এইটো আজিকালি নিয়মৰ দৰেই দিনটো সাতবাৰ মান কাৰেন্ট যায়। আগতে কাৰেন্ট গ'লেও খুব বেছি দুই তিনি মিনিট। তাৰ পাছতে জেনেৰেটৰ অন হৈয়ে যায়। আজিকালি জেনেৰেটৰ অন হওঁতেও দহ মিনিটৰ ওপৰ লাগে।

"ছেহ, মাংসখিনি বহাইছিলোঁ হে।"

অনুৰণে কথাটো কওঁতেহে সকলোৰে মাংসৰ কথা মনত পৰিল।

অলপ পাছত কাৰেন্ট আহিল। দীপকে সাৱধান কৰি দিলে,

"ভুলতো এইবাৰ ভূতৰ কথা নোলাই যেন।"

কিছু সময়ৰ পাছত অনুৰণৰ মাংস বনাই হৈ গ'ল। গোন্ধতেই সকলোৰে টকালি পাৰিছে। পানী দিয়াৰ আগত প্ৰিয়ানুজ আৰু ময়ূঁৰে এবাৰ টেষ্ট কৰিও চালে। সঁচাকৈ বঢ়িয়া বনাইছে অনুৰণে। প্ৰিয়ানুজে কৈছিল,

"অনুৰণ, তোমাৰ টেলেন্ট কম নহয় দেই। গীটাৰ বজোৱা, ইমান ভাল খানা বনোৱা। কিন্তু লুকুৱাই ৰাখা সদায়।"

"অনুৰণে চব বস্তু লুকুৱাই ৰাখে, ন?"

Kaushik

অভিমন্যুৰ কথাত থতমত খালে যদিও বাহিৰে একো নোহোৱাৰ দৰে হাঁহি মাৰি থ'লে অনুৰণে। ময়ূঁৰে অভিমন্যুৰ কাষলৈ আহি ফুচফুচাই কৈছিল,

"কাম নাই নেকি তোৰ?"

"ৰহ, চাই থাক খেল।" বুলি অভিমন্যুয়ে সকলোৰে শুনাকৈ ক'লে,

"মাংস অলপ সন্ধ্যালৈও দি পঠাওঁ নেকি?"

তাৰ প্ৰস্তাৱত সকলো একে আষাৰে মান্তি হ'ল। প্ৰিয়ানুজেই প্ৰথমে ক'লে,

"ঠিক ভাবিছা। সন্ধ্যাই ঘৰৰ পৰা অনা কেক দিয়া টিফিন এটা মোৰ তাত আছেই। তাতে দি পঠাব পৰা যাব।"

প্ৰিয়ানুজে উলিয়াই দিয়া টিফিনটোত অনুৰণে মাংস অলপ ভৰাই দিছিল। তৌফিকে ক'লে,

"ব'লা অভিমন্যু, তুমিয়ে মইয়ে গৈ দি আহোঁ।"

"আই ঐ, সোৱণশিৰী যোৱাৰ কথা শুনি এইজনে ঠেং দাঙিলেই।" দীপকৰ কথাত হাঁহি উঠিল সকলোৰে।

"নালাগে, আমি খোৱাৰ যোগাৰ কৰোঁ। ভাত চাত আনোঁ। অনুৰণে দি আহক পটককৈ।"

অভিমন্যুৰ কথাত আচৰিত হোৱাৰ দৰে অনুৰণে তালৈ চালে,

"মই?"

"অঁ, পাৰিবা নাই? গেটৰ পৰা সন্ধ্যালৈ ফোন কৰি দিলেই তাই নামি আহিব।"

অভিমন্যুৰ বুদ্ধিত ময়ূঁৰে মুখ টিপি হাঁহিছিল।

"ঠিক আছে দিয়া" বুলি অনুৰণ টিফিনটো লৈ ওলাই গ'ল। অভিমন্যুয়ে এবাৰ ফোন কৰি সন্ধ্যাক কৈ দিলে,

"অনুৰণ গৈ আছে। ওলাই আহ।"

Kaushik

চাইকেলখন সোৱণশিৰীৰ সমুখতে ৰখাই লৈ নামিল অনুৰণ। নামিয়ে সন্ধ্যালৈ ফোন লগালে,

"আহা।"

সন্ধ্যা সাজু হৈয়ে আছিল। লগে লগেই নামি আহিল তাই। গেটৰ ওচৰ পাওঁতেই অনুৰণে টিফিনটো আগবঢ়াই দি ক'লে,

"লওঁক মেম, আপোনাৰ মাটন অৰ্ডাৰ।"

সন্ধ্যা আগবাঢ়ি আহি ক'লে,

"বিলটো কিমান হ'ল বাবু?"

"পইছাৰ সলনি মৰম অলপ দিলেও হ'ব।"

গেটখনত ভেঁজা দি অনুৰণে ক'লে। লগে লগে যেন হাঁহিত ফাটি পৰিল সন্ধ্যা। হাঁহি হাঁহিয়ে তাই কৈছিল,

"একদম অভিৰ লগত থাকি থাকি বনি গৈছা আৰু ন? পূৰা চেনি মানে।"

"মই কিবা চবকে এনেকৈ কওঁ নি?" অনুৰণৰ মাতত যেন ভিৰ কৰিছিলহি অভিমানবোৰে। সন্ধ্যা এক মুহূৰ্তৰ বাবে চাই ৰৈছিল তাক। অভিমান কৰিলে যে তাৰ মুখখন সৰু ল'ৰাটোৰ দৰে হৈ পৰে সন্ধ্যাৰ বাবে আটাইতকৈ প্ৰিয় সময় এইখিনি। হাতখন মেলি অনুৰণৰ মূৰৰ চুলিখিনি জোকাৰি দি সন্ধ্যাই ক'লে,

"আই ঐ দেহি। খংটো চোৱা।"

অনুৰণে হাঁহি মাৰি টিফিনটো আগবঢ়ালে। সন্ধ্যাই হাত পাতি লোৱাত সি যাবলৈ ওলাল। চাইকেলত পেডেল মাৰিবলৈ লওঁতেই আকৌ সন্ধ্যাই মাত দিলে,

"ঐ ল'ৰা--"

অনুৰণে ঘূৰি চালে। সন্ধ্যাই আকৌ ক'লে,

"মোৰ বাহিৰে বেলেগৰ লগত চেনি নোখোৱা যাতে।"

"মনো নাযায় বেলেগৰ লগত।" বুলি কৈয়ে চাইকেলত পেডেল মাৰিলে অনুৰণে। অলপ পাছতে আঁতৰ হ'ল সি। সন্ধ্যাৰ মুখত লাগি ৰৈছিল সলাজ হাঁহিটো।

Kaushik

হাঁহিটো ওঁঠতে আঁকি ৰুম পাওঁতে পখীয়ে লেপটপত লগাই থোৱা গানটো কাণত পৰিছিল,

"তুমি মোৰে তুমি মোৰে যে

কত জনমৰেনো আপোন যে

তুমি সপোন তুমি সুবাস

মোৰ আকাশৰে তুমি পোহৰ যে

মনে আজি পাখি মেলে

অ' চোৱা কিনো ৰঙে হিয়া ভৰে

মিঠা মিঠা আজি সপোনৰে

অজানিতে চোৱা ৰং ভৰে....."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 96

"পখী, কেতিয়াও ভবা নাছিলোঁ যে কেতিয়াবা তোমাক এইবোৰ ক'ম। কিন্তু যদি নকওঁ হয়তো নিজক মই ক্ষমা কৰিব নোৱাৰিম। আচলতে নজনাকৈয়ে তোমাক মই ভাল পাই পেলালোঁ। আৰু আৰু নাজানো কিয় মই---"

"ধুৰ, তোৰ মাথাটো কৈছ এইসোপা।"

অভিমন্যুৰ সমুখৰ পৰা ময়ূঁৰ আঁতৰি আহি বিচনাত পৰিলহি। অথনিৰে পৰা প্ৰায় এঘন্টা মান হ'ল ময়ূঁৰৰ আগত পখীক প্ৰপোজ কৰাৰ প্ৰেকটিছ কৰি আছে অভিমন্যুয়ে। সেই যে সিহঁতে একেলগে মাংস খাইছিল, সেইদিনাই ৰাতি পাটকাইৰ ছাদত বহি অভিমন্যুয়ে ময়ূঁৰক পখীৰ কথাখিনি কৈছিল। ময়ূঁৰে হাঁহিছিল তাৰ কথাত,

"মই আগতেই জানিছিলোঁ। কিন্তু পখী বুলি জনা নাছিলোঁ।"

"কিন্তু মোৰ ভয় লাগে, এইয়া প্ৰেম হয় জানো ময়ূঁৰ?" অভিমন্যুয়ে সুধিছিল। ময়ূঁৰে কৈছিল,

"যদি মোক কোৱাৰ দৰেই তোৰ হৈছে তেন্তে হয়, সেয়া প্ৰেম।"

"মোৰ এনেকুৱাই হৈছে জান'। পথীৰ লগততো মোক কোনেও নোজোকাই, তেও মোৰ এনেকুৱা অনুভৱ হৈছে। কিন্তু ভয় লাগে, যদি তাই মোক মানি নলয়।"

"তাই মানি নল'লেও তই অন্ততঃ গম পাবি যে তাই তোক ভাল নাপায়। কিন্তু যদি তই নকঁৱয়েই, তেন্তে সদায় তোৰ মনত সেইটো প্ৰশ্ন ৰৈ যাব। গতিকে কৈ দে।"

ময়ূঁৰৰ প্ৰস্তাৱ মতেই অভিমন্যু মান্তি হৈছিল। আৰু এতিয়া তাৰেই আথৰা।

"গোটেই তিনি বছৰ ছোৱালীৰ লগত চেনি খাই খাই কটালি, আৰু এতিয়া যেতিয়া আচল কথাটো কোৱাৰ সময় আহিছে। তাৰ অৱস্থা চাচোন।"

ময়ূঁৰে ধমকি মাৰি ক'লে। অভিমন্যু চকীখনতে বহি দিলে,

"আৰে তই বুজা নাই, ইমান দিনে অকল চেনি খালোঁ। বাত ইন দিচ কেচ মই ভাল পাওঁ বে সঁচাকে। এম ইন লাভ য়াৰ।"

"এটা কাম কৰ, তাইক মাত। আৰু লগ কৰ। যি হ'ব হওঁক। সকলো মুখামুখিতে ওলাব। এইচব প্ৰেকটিছ কৰি টাইম বৰবাদ কৰাহে হ'ব।"

ময়ূঁৰৰ কথা নমনাৰ ক্ষমতা অভিমন্যুৰো নাই। অগত্যা সি যাবলৈ ওলাই পথীক ফোন কৰিলে। দুটা ৰিং হওঁতেই ধৰিলে তাই,

"অঁ অভিমন্যু, কোৱা।"

"পথী, ক'ত আছা?"

"মই Essential আহিছিলোঁ। কোৱা চোন। আকৌ সন্ধ্যাৰ লগত কিবা লাগিলা নেকি?"

পথীৰ অনুমান কৰাটো স্বাভাৱিক। কাৰণ এইটো প্ৰায় হোৱাৰ দৰেই। ব্ৰেক আপ হোৱাৰ পাছত সন্ধ্যা আৰু অভিমন্যু যিদৰে আগৰ নিচিনা হৈ পৰিছিল, সিহঁতৰ মৰমসনা কাজিয়াবোৰো উভতিছিল। সিদিনা এখণ্ড লাগিছিলেই। সন্ধ্যাই দুপৰীয়া অভিমন্যুক বাহিৰত খাবলৈ লগ লৈ থৈছিল। কিন্তু সি পাহৰি হোষ্টেলত ভাত খাই

Kaushik

দিলে অনুৰণহঁতৰ লগতে। এইফালে বেচেৰী সন্ধ্যা ৰৈ আছে অভিয়ে ফোন কৰিব, ওলাই যাম। পাছত যেতিয়া গম পালে যে সি ভাত খাই দিলে সন্ধ্যাৰ ৰণচণ্ডী ৰূপ।

"তোৰ নিচিনা ফাল্টু এটাৰ লগত মানুহে প্লেন বনাই নেকি? অভদ্ৰ ক'ৰবাৰ। কিয় যে এইচবক লগ ধৰিছিলোঁ মই। আজিৰ পৰা যদি তোৰ লগত ওলাই যাওঁ চাই থাক। নামাতিবি মোক।"

উশাহ নোহোৱাকৈ গালিখিনি দি ফোনটো বিচনালৈ দলিয়াই দিছিল সন্ধ্যাই। পখীয়ে তাইৰ খং দেখিয়ে একো কোৱা নাছিল। অভিমন্যুয়ে উপায় নাপাই পখীলৈ ফোন লগাইছিল,

"পখী, কিবা এটা কৰা না। এইজনীয়ে নহ'লে কেইদিনলৈকে মুখ ফুলাই থাকে ঠিক নাই।"

পখীয়ে সন্ধ্যাক বুজাইছিলহি,

"হৈ যায় সন্ধ্যা কেতিয়াবা এনেকুৱা। সি জানো ইচ্ছা কৰি কৰিব ক। তই লঘোণে থাকিলে অভিমন্যুয়ে কি ভাল পাব নেকি?"

তেনেকৈয়ে ভাল হৈছিল সিহঁতৰ কাজিয়া।

পখীয়ে এতিয়াও অভিমন্যুয়ে তেনেকুৱা কিবা কাৰণত ফোন কৰিছে বুলিয়ে ভাবিছিল। অভিমন্যুয়ে তাইৰ ভুলটো ভাঙি দি ক'লে,

"নাই নহয়। মানে, তুমি ফ্ৰী আছা যদি লগ কৰিব পাৰিম নি বাৰু?"

"অকে, আহা তুমি। মই Essentialতে আছোঁ।"

পখীয়ে সাধাৰণ ভাৱেই কথাটো কৈ ফোনটো থ'লে।

অভিমন্যুৰ বুকু ধপধপ। এই জীৱনত প্ৰথম বাৰলৈ কোনোবা ছোৱালীক লগ কৰিবলৈ যাওঁতে বুকু কঁপিছে তাৰ।

"ইমান কি আছে নাৰ্ভাছ হ'বলে? আৰাম চে যা।" ময়ূঁৰে সাহস দিলে।

"তাই মানি ল'ব নে বাৰু?"

অভিমন্যুৰ প্ৰশ্নত শ্ৰীকৃষ্ণৰ ভংগীমাৰে ময়ূঁৰে ক'লে,

Kaushik

"তু বচ কাম কৰ, ফল কি চিন্তা না কৰ।"

ভৰিটো পাক খোৱাই সোঁহাতখন ওপৰলৈ দাঙি থকা ময়ূঁৰৰ ভাঁজ দেখি অভিমন্যুৰ হাঁহি উঠিছিল। আজিকালি ময়ূঁৰৰ উদাস উদাস ভাৱটো বহুখিনি নোহোৱা হ'ল। সিও হাঁহে, সিও ধেমালি কৰে। অভিমন্যুয়ে এক প্ৰশান্তি পাই ময়ূঁৰক এনেকৈ দেখি। তাৰ ফটুৱামি খিনিত অভিমন্যুৰ ভয়টো অলপ হ'লেও কমিছিল। সি যাবলৈ ওলাল।

"গুড লাক।" ময়ূঁৰে ক'লে। অভিমন্যুয়ে হাঁহি এটা মাৰি ওলাই গ'ল।

Essentialৰ ঘূৰণীয়া টেবুল এখনত টোপোলা এটা থৈ কাষৰ চকীত বহি আছে পথী। হাতত আইচক্ৰীমৰ বাটি এটা। চামুচেৰে আইচক্ৰীম খাইও আছে মাজে মাজে ৰাস্তাৰ ফালে চাই আছে। আবেলিৰ সময়, গতিকে মানুহ তেনেকৈ নাই ইমান। ব্যস্ততাৰ দিনটোত আবেলিৰ সময়কণ শোৱাৰ বাহিৰে বেলেগ কামত খৰছ কৰাটো যেন মহাপাপ তেজীয়ান সকলৰ বাবে। পথীও এতিয়া গৈ শুলেগৈ হেঁতেন। কিন্তু অভিমন্যু আহিব বুলি কোৱাৰ বাবেই ৰৈ গ'ল তাই।

"অকলে অকলে খাই আছা ন আইচ ক্ৰীম?" অভিমন্যু আহি মাত দিলে।

"তোমালেই লৈছিলোঁ এইটো। আহা দেৰি কৰা কাৰণে খাই দিলোঁ।"

পথীৰ কথাত হাঁহি উঠিল অভিমন্যুৰ। পথীয়ে আকৌ ক'লে,

"আৰে সঁচাকে। এইটো চোৱা। এইটো মোৰ আছিল। খাই শেষ।"

সঁচাকৈ আইচক্ৰীমৰ খালী বাটি এটা টেবুলখনত পৰি আছে। অভিমন্যুয়ে হাঁহি হাঁহি ক'লে,

"কি আচৰিত ছোৱালী তুমি।"

"ৱ' ত' মে হু হি। এতিয়া কোৱা কিয় মাতিছিলা?"

পথীৰ কথাত অলপ নাৰ্ভাছ হ'ল অভিমন্যু। ইয়াত এইদৰে কেনেকৈ কয় বাৰু? সেয়ে সি কওঁ নকওঁকৈ ক'লে,

"নিৰিবিলিলে যাওঁ ব'লা?"

Kaushik

"নিৰিবিলি? এতিয়া?" পথী আচৰিত হৈছিল। নিৰিবিলিলৈ লগ ধৰাৰ বাবে নহয়। কিন্তু এই ৰ'দত আবেলি নিৰিবিলিত কোন বহেগৈ বাৰু? তাত ছাঁ পৰি থাকে বাৰু গছবোৰৰ বাবে। হ'লেও সাধাৰণতে চব সন্ধিয়াহে যায় তালৈ। তথাপি অভিমন্যুৰ মুখলৈ চাই কিবা ছিৰিয়াছ কথা আছে বুলি গম পাইয়ে পথীয়ে ক'লে,

"ঠিক আছে, ব'লা।"

Essentialৰ পৰা ওলাই চাৰিআলিটোৰ বাওঁফালেৰে আগবাঢ়িল সিহঁত নিৰিবিলিলৈ।

আবেলিৰ সময়ত গোটেই চৌহদটোৰ দৰেই নিৰিবিলিয়েও যেন জিৰণি লৈছে। মাজে মাজে গছৰ দুই এচাটি বতাহ বলি আছে। শিমলু তুলাবোৰেও উৰি আহি নিৰিবিলিৰ সেউজীয়া চাদৰখনত যেন বগা ফুল বাঁচিছে। সদায়ৰ দৰেই পুখুৰীটোৰ কলকল শব্দটো আৰু গছ কেইজোপাৰ পৰা মাজে মাজে দুই এটা চৰাইৰ কিচিৰ কিচিৰ কাকলিৰ বাহিৰে একো হাই উৰুমি নাই। সমুখৰ বেঞ্চখনতে বহি পথীয়ে ক'লে,

"কোৱা এতিয়া। কি ইমান ইম্পৰটেন্ট কথা আছিল যে তুমি মোক নিৰিবিলি পোৱালাহি!"

পথীৰ কাষতে বহি অভিমন্যুয়ে কৈছিল,

"আচলতে, নাজানো তুমি কি ভাবা। কিন্তু তোমাক কথাখিনি নক'লে যে মোৰ নিজৰে অশান্তি হ'ব।"

"কোৱা আকৌ।"

"মানে পথী, মই-- মানে মই তোমাক-- মানে তোমাক মই--"

অভিমন্যুয়ে থেৰোঁ গেৰোঁ কৰি আছে। কিয় জানো কওঁ বুলিও ক'ব পৰা নাই সি। কথাটো যেন ডিঙিতে ৰৈ গৈছে। বতাহ বলি থকাৰ পাছতো জ্বৰে ঘমাদি ঘামিছে সি। হয়তো কঁপিছেও। ঠাণ্ডাই লাগিছে নে গৰম লাগিছে একো ধৰিব পৰা নাই। এই প্ৰেম বস্তুটো এনেকুৱাই নেকি!

"মানে মই তোমাক-- মানে-- মই--"

"মোক ভাল পোৱা, সেইটোৱেইটো?"

Kaushik

অভিমন্যুয়ে কওঁ কওঁ কৰি থাকোঁতেই হঠাৎ তাক আচৰিত কৰি পখীয়ে কৈ উঠিল। অভিমন্যুয়ে আচৰিত দৃষ্টিৰে চাইছিল তাইলৈ। পখীয়ে আকৌ ক'লে,

"কি ভাবিছা? মই কেনেকৈ গম পালোঁ? তোমালোকৰ নিচিনা ডেস্পো কেইটাক মুখ দেখিলেই চিনি পাওঁ মই।"

অভিমন্যু আৰু আচৰিত হৈছিল। পখীয়ে তাক ঘপকৈ এনেকৈ ক'ব বুলি সিও ভবা নাই।

"নহয় পখী, মই তোমাক সঁচাকৈ--"

অভিমন্যুক ক'বলৈ নিদি পখীয়ে চিঞৰি উঠিল,

"অহ প্লিজ, শ্বাট আপ। সিদিনা নিচাত ঘপকৈ কিবা এটা ক'বলৈহে পালোঁ। চান্স ল'বলৈ আহি গ'লা ন? ফাল্টু ক'ৰবাৰ।"

অভিমন্যুৰ মুখৰ মাত নোহোৱা হৈছিল। পখীয়ে অনৰ্গল কৈ গৈছে,

"কি বুলি ভাবা তুমি ছোৱালীবোৰক? প্ৰথমতে শৰ্মিষ্ঠা নে কোন সেইজনী, তাৰ পাছত সন্ধ্যা আৰু এতিয়া মই? ৱাহ মানিছোঁ কিন্তু।"

মনৰ সকলো শক্তি গোটাই এবাৰ অভিমন্যুয়ে ক'লে,

"পখী, প্লিজ এবাৰ মোৰ কথাখিনি শুনা।"

পখীৰ এইবাৰ আৰু খং উঠিল,

"কি শুনিবলৈ আছে তোমাৰ কথা? দুআষাৰ ভালকৈ পাতিলো বুলি কি ভাবি ল'লা যে মই তোমাৰ জালত পৰিম? মিঠা মিঠা কথা কৈ সন্ধ্যাক ভুলাব পাৰিবা, মোক নহয়। আৰু নিজৰ এক্স গাৰ্ল ফ্ৰেণ্ডৰ ৰুমমেটক প্ৰপোজ কৰিবলৈ লাজ নালাগে তোমাৰ?"

তলমূৰ কৰিছিল অভিমন্যুয়ে। চকুৰ টোপাল বাগৰি আহি তাৰ কোঁচত পৰিছেহি।

"যোৱা, মাথাটো নষ্ট কৰি দিলা। যাবলৈ এমাহো নাই ইউনিভাৰ্চিটীৰ পৰা। এইচব নৌটংকী। ছোৱালীৰ ফিলিংচৰ লগত খেলাটো তোমালোকৰ নিচিনা ল'ৰাবোৰৰ হবীয়ে হৈ গৈছে আজিকালি।"

অভিমন্যু নিশ্চুপ হৈ বহি আছিল। পখীয়ে জোৰেৰে চিঞৰি উঠিল,

Kaushik

"প্লিজ লিভ। জাষ্ট গ' ফ্ৰম হিয়েৰ।"

অভিমন্যুয়ে থিয় হৈ ক'লে,

"আই এম ছৰী।"

"ইউ শ্বুড বি ছৰী।" পখীৰ একেই ৰুক্ষ ব্যৱহাৰ। এখোজ দুখোজকৈ আঁতৰি আহিল অভিমন্যু সেইখিনিৰ পৰা। নিৰিবিলি পাৰ হৈ পাটকাইলৈ খোজ ল'লে।

পখী বহি আছে তাতেই, সেই বেঞ্চখনতে। অথনিৰে পৰা জোৰকৈ মুঠি মাৰি থকা হাতখন লাহে লাহে খুলিলে তাই। চকু দুটা জোৰেৰে মুদি অলপ সময় অলসভাৱে মূৰটো পেলাই দিলে বেঞ্চৰ দাঁতিত। কিছু সময়ৰ পাছত চকু মেলি একেথৰে চাই ৰ'ল সমুখৰ পুখুৰীটোলৈ। চকুদুটা পানীৰ ভৰি আহিছে পখীৰ। খুব জোৰ কৰা সত্ত্বেও বাগৰি আহিছে পানীৰ টোপাল গালেৰে। তেনেকৈয়ে কিছু সময়ৰ পাছত মুখখন দুহাতৰ ঢাকি উচুপি উঠিল পখীয়ে। লাহে লাহে কান্দোনটো বাঢ়ি আহিল। কান্দি কান্দিয়ে তাই নিজক কোৱাৰ দৰে ক'লে,

"ছৰী, আই এম ছৰী।"

বেলিটো উভতিছিল লাহে লাহে। এন্ধাৰে আৱৰিছিল। পখী তেতিয়াও বেঞ্চখনতে। চকুপানীবোৰ শুকাইছিল তেতিয়ালৈ। হয়তো অলপ পাছত ইয়াৰ দাগবোৰো শুকাই নোহোৱা হৈ যাব। সঁচাই, এনেদৰেই যদি কষ্টবোৰো শুকাই গ'লহেঁতেন। কিন্তু বাস্তৱত চকুপানীবোৰহে শুকাই, কষ্টবোৰ নহয়।

kaushik

ভৰিকেইটা যেন খুব গধুৰ হৈ পৰিছে অভিমন্যুৰ বাবে। সমুখৰ পৃথিৱীখন ধূসৰ। ইমান দিনে বহুজনী ছোৱালীক সি জোকাইছে। বহুতৰ লগত ঘূৰিছে। কেতিয়াবা কোনোবাই টানকৈও কৈছে। কিন্তু আজিৰ পখীৰ এই কথাকেইটাই যেন ভাঙি পেলাইছে তাক।

ময়ূঁৰৰ ৰুমৰ দুৱাৰখন শব্দ কৰি খুলি দিলে অভিমন্যুয়ে। ময়ূঁৰ বিচনাতে বাগৰি কিতাপ এখন পঢ়ি আছিল, তাক দেখি উঠি বহিল। অভিমন্যু বিচনাত পৰি দিলে। ময়ূঁৰে সুধিলে,

"অভি, কি হ'ল? কি ক'লে পখীয়ে?"

মুখেৰে একো মতা নাই অভিমন্যুয়ে। অলপ আগলৈকে তাৰ হেঁপাহবোৰৰ মুখাগ্নি যে সি নিজে কৰি আহিছে। হঠাৎ সি ময়ূঁৰৰ কোঁচত মূৰটো গুজি দি হুকহুকাই কান্দি উঠিল। ময়ূঁৰ আচৰিত হৈছিল। পখীয়ে কেৱল তাৰ প্ৰস্তাৱ মানি নল'লেই এনেকৈ কন্দা ল'ৰা অভিমন্যু নহয়। তেন্তে! তাৰ চুলিত হাত ফুৰাই ময়ূঁৰে কৈছিল,

"অভি, কি হ'ল কচোন মোক।"

কান্দোনৰ মাজতে অভিমন্যুয়ে ক'লে,

"মই প্লে বয় নহয় ময়ূঁৰ। কাৰো ফিলিংচৰ লগত খেলা কৰা নাই মই।"

"কোনে কৈছে তোক প্লে বয় বুলি? নাকান্দিবি চোন।"

ময়ূঁৰৰ কথা আওকাণ কৰি অভিমন্যুয়ে আকৌ ফেঁকুৰি উঠিল,

"শৰ্মিষ্ঠাই নিজে মোক এৰি গৈছিল। আৰু সন্ধ্যাৰ লগত এটা ভুল বুজা বুজি হৈছিল। এতিয়া তাইও সেইটো বুজি পালে। মই কাকো আঘাত কৰা নাই অ'। পখীক সঁচাকৈ ভাল পাওঁ মই। কিন্তু তাই মোক--। মোক তাই ভাল পাব নালাগে, কিন্তু এনেকৈ আঘাত কৰিব কিয় মোক ক।"

আৰু একো নক'লেও ময়ূঁৰে বুজি পাইছে যে পখীয়েই এইখিনি ক'লে তাক। খং উঠিছিল ময়ূঁৰৰ। অভিমন্যুক কোনোবাই আঘাত কৰাটো সি সহ্য কৰিব নোৱাৰে। আন কোনোবা হোৱা হ'লে সি তাৰ উচিত জবাব দি দিলে হেঁতেন। কিন্তু পখীক এতিয়া কিবা ক'লে আৰু বেয়াহে হ'ব। সেইবাবে সি অভিমন্যুকে বুজালে,

"অভি, কোনোবাই কিবা এটা কৈ দিলেই তই বেয়া হৈ যাবি নে? তই নিজেতো জান তই কেনেকুৱা। তেন্তে বেলেগৰ চাৰ্টিফিকেটৰ কি দৰকাৰ?"

অভিমন্যুয়ে একো মতা নাই। মূৰটো পেলাই আছে ময়ূঁৰৰ কোঁচত। ময়ূঁৰে আকৌ ক'লে,

"এটা কথা কি জান' অভি? যেতিয়ালৈকে আমি আইনাৰ সমুখত ৰৈ নিজৰ চকুত চকু থৈ ক'ব পাৰোঁ যে মই একো ভুল কৰা নাই, তেতিয়ালৈকে গোটেই পৃথিৱীয়ে কওঁক তই একো আহে নাযায়। কাৰণ অপৰাধীয়ে কেতিয়াও নিজৰ চকুত চকু থ'ব নোৱাৰে।"

অভিমন্যু অলপ শান্ত হৈছিল। উঠি বহি চকুপানী মচিছিল। ময়ূঁৰে আকৌ বুজালে,

Kaushik

"পখীক তই ভাল পাঁৱ ন? সেই ভালপোৱাখিনিৰ ওপৰত বিশ্বাস ৰাখ। তাই নিশ্চয় বুজি পাব এদিন। আৰু যদি বুজি নাপাই তেন্তে জানিবি তাই ইয়াৰ যোগ্যই নহয়। দোকানৰ দামী বস্তুবোৰ সকলোৱে কিনিব এনেও নোৱাৰে।"

"কিন্তু তাই কিয় মোক বুজিবলৈ চেষ্টা নকৰিলে ক? যে মই তাইক ভাল পাওঁ।"

অভিমন্যুৰ উত্তৰত ময়ূঁৰে ক'লে,

"আমি কাৰোবাক ভাল পাওঁ বুলি তেওঁ যে আমাকো ভাল পাবই লাগিব তাৰতো কোনো ধৰা বন্ধা নিয়ম নাই। ভালপোৱা মানে জানো বিনিময় কচোন।"

অভিমন্যু আগতকৈ বহুখিনি শান্ত হ'ল। দীঘলকৈ হুঁমুনিয়াহ এটা এৰিলে সি।

"শুই দে অলপ, বাদ দে এইবোৰ ভাবিবলৈ।"

ময়ূঁৰৰ কথাত তাৰ ৰুমতেই অভিমন্যু শুই পৰিল। ময়ূঁৰে তাৰ চুলিত হাত ফুৰাই দিলে। লাহে লাহে চকু জপাই দিলে অভিমন্যুয়ে।

Kaushik

সময়বোৰ পাৰ হ'ল তেনেকৈয়ে। পখী আৰু অভিমন্যুৰ কথাবোৰো ময়ূঁৰৰ বাহিৰে আন কোনোৱে নাজানিলে। অভিনয় কৰি ভাল পোৱা অভিমন্যুয়ে সন্ধ্যাকে ধৰি সকলোৰে আগত কৰি গৈছিল সুখী হোৱাৰ সাৱলীল অভিনয়। মাত্ৰ কেতিয়াবা মাজৰাতি পাটকাইৰ ছাদত ছিগাৰেটৰ কুণ্ডলী পকাই সময়বোৰক প্ৰশ্ন কৰে। লগত থাকে ময়ূঁৰ।

সময়ৰ সোঁতত কোনেও ভাল নোপোৱা সেই বিশেষ দিনটো আহিছিলগৈ। "ফেয়াৰৱেল"। অভিমন্যুতকৈও ময়ূঁৰ বেছি ভাঙি পৰিছিল বিদায়ৰ দিন ওচৰ চপাৰ লগে লগে। প্ৰিয়ানুজ, দীপক আৰু তৌফিকৰ মাজত ময়ূঁৰে এটি মৰমলগা পৰিয়াল গঢ়ি লৈছিল। কিন্তু আৰু কেইদিন মানৰ পাছত যে এইয়াও নাথাকেগৈ। তাতে এইবাৰৰ ফেয়াৰৱেলে বাৰে বাৰে যেন সোঁৱৰাই আছিল সিহঁতক যে ইয়াৰ পাছত অভিমন্যু। অহা বছৰলৈ এনেকুৱা দিনত অভিমন্যুয়ে এৰি যাব ইউনিভাৰ্চিটী। ময়ূঁৰ মাজে মাজে ভাবুক হৈ পৰে। বুজি পাই যদিও অভিমন্যুয়ে একো নোসোধে তাক। দিন ওচৰ চপাৰ লগে লগে সকলোৰে মনবোৰ সেমেকি আহিছিল। ফাইনেল পৰীক্ষাটো দি আছিল যদিও মনত যেন বিদায়ৰ সংগীত অহৰহ বাজি আছিল। ৰুমত কেতিয়াবা কিবা কথাত হাঁহি ওলালেও হঠাতে সকলো মৌন হৈ পৰিছিল। হয়তো কোনেও কাকো নক'লেও মনে মনে উপলব্ধি কৰিছিল যে এই হাঁহিবোৰ আৰু কেইদিন মান পাছতে সেমেকি পৰিব।

পথীয়ে মাজে মাজে সন্ধ্যাক দুই এটা উপদেশ দি থাকে,

"এই সন্ধিয়া সন্ধিয়া বেছি দেৰি লৈকে শুই নাথাকিবি, মনবোৰ এনেই বেয়া লাগি থাকে।"

"ৰাতিপুৱা ব্ৰেকফাষ্টটো মিছ নকৰিবি, দিনটোলে দুৰ্বল দুৰ্বল লাগে।"

সিদিনাও এনেকৈ কিবা কিবি কৈ থাকোঁতে সন্ধ্যাই আহি পথীক সাৱটি ধৰি হুকহুকাই কান্দি উঠিল,

"আকৌ কিবা এটা পঢ় না ইয়াতে। প্লিজ নাযাবি। কাক গালি পাৰিম মই কচোন।"

"ধেৎ পাগলী। গাঁৱত লগ পাইয়ে থাকিমচোন। আৰু মাজে মাজে আহি থাকিম নহয়।" পথীৰো চকুপানী ওলাইছিল।

মিছা, এই মাজে মাজে আহিম বোলা কথাটোয়ে মিছা। বিদিশা বাহঁতেও কৈছিল। আহিছে জানো? নাই, যোৱা দুবছৰত মাত্ৰ এবাৰ আহিছিল। আচলতে জীৱনৰ ৰংবোৰ, ফুৰ্তিবোৰ, ফাগুণবোৰ ইয়াতে যেন ৰৈ যায়। ইয়াৰ পাছত জীৱনটো যেন কেৱল ক'লা বগা কেনভাছ। মৰীচিকাৰ পাছত দৌৰা এখন আমৃত্যু প্ৰতিযোগিতা।

Kaushik

শেষৰ পৰীক্ষা দি সেইদিনা আবেলি পাটকাইৰ বাছষ্টেণ্ডত ৰৈ আছে সন্ধ্যা। হাতত কিতাপ এখন, "হৃদয় এখন মহাকাব্য"। চন্দ্ৰালীক উপহাৰ দিবলৈ আনিছে সন্ধ্যাই। এইবাৰ চন্দ্ৰালীৰো মাষ্টাৰ্চ শেষ। তাই Integrated MA ৰ আছিল। সন্ধ্যাৰ গোটেই মৰমৰ মানুহখিনি এইবাৰ গুছি যাব। দুবছৰ আগতে ৰীণা বাহঁত গুছি গৈছিল। বিদায়ৰ দুখ তাইতকৈ ভালকৈ আৰু কোনে জানিব। এই পাঁচ বছৰীয়া কোৰ্চটোৱে বেলেগ শিকাওঁক নিশিকাওঁক, সকলোকে হেৰুৱাইও নিজক কিদৰে চম্ভালিব লাগে সেইটো খুব ভালকৈ শিকায়।

"সন্ধ্যা, ছৰী দেই। দেৰি হ'ল অলপ।"

চন্দ্ৰালী আহি পালেহি। তাইক দেখিয়ে চকুযোৰ চলচলীয়া হৈ গ'ল সন্ধ্যাৰ। কাইলৈ চন্দ্ৰা বা যাবগৈ। সৰাফুল ভাল পোৱা বাজনীৰ অভাৱ সন্ধ্যাৰ লগতে যেন গোটেই চৌহদটোৱে কৰিব।

"ঐ, এতিয়া কিন্তু কন্দা কটা নকৰিবা দেই। এইটো লোৱা। তোমালৈ আনিছোঁ। নিজে বনাইছোঁ।" বুলি এটা বুকমাৰ্ক আগবঢ়াই দিছিল চন্দ্ৰালীয়ে। সন্ধ্যাই আলফুলে লৈ চালে। বুকমাৰ্কটো ডাঠ কাগজেৰে বনাইছে। ওপৰত এফালে লিখা আছে,

"সৰাফুল বুটলি নিজৰ অকণমানি পৃথিৱীখনত উমলি ভালপোৱা মোৰ মৰমৰ ভন্টি সন্ধ্যালৈ বহুত মৰম, তোমাৰ চন্দ্ৰা বা।"

আনটো ফালে কেইপাহি মান শুকান সৰাফুল। সঁচাকৈ ইমান মৰম সনা উপহাৰ কেৱল চন্দ্ৰালীৰ পক্ষেহে সম্ভৱ।

"ইমান মৰম লাগিছে বা।"

সন্ধ্যা আৱেগিক হৈ পৰিছে। তাই অনা কিতাপখনো আগবঢ়াই দিলে চন্দ্ৰালীলৈ।

"লোৱা, ইয়াত নাহৰৰ দেশখন আছে। ডিব্ৰু।"

"থেংক ইউ। এতিয়া ব'লা, বকুল দাৰ তাৰ পৰা আহোঁগৈ।"

দুইজনী মহামায়ালৈ আগবাঢ়িল। চন্দ্ৰালী যোৱাৰ পৰত বকুল দাৰো মাতটো থোকাথুকি হৈছিল,

"ভালে থাকিবি অ' আই। ককায়েৰক পাহৰি নাযাবি।"

"কি কয় বকুল দা? আপোনাক পাহৰিব পাৰিম জানো কওঁক।" চন্দ্ৰালীয়ে কৈছিল। কিছু সময় তাতে কথা পাতি সিহঁত উভতি আহিল। চন্দ্ৰালী ৰাতিপুৱাই যাবগৈ কাইলৈ। শেষ বাৰৰ বাবে সিহঁতৰ শিখা হৰণৰ গ্ৰুপটো এবাৰ লগ হ'ল পাটকাইৰ সমুখৰ বাছ ষ্টেণ্ডটোত।

"চন্দ্ৰালী, আমাক মনত ৰাখিবা আকৌ। বিয়া চিয়া পাতিলে মাতিবা।" দীপকে কৈছিল।

"কিয় নামাতিম বাৰু? বিয়া নাম কোনে দিব নহ'লে?"

চন্দ্ৰালীৰ কথাত গোটেই কেইটাই হাঁহি উঠিছিল। অভিমন্যুয়ে ক'লে,

"হ'লেও আশা কৰিছোঁ যাতে প্ৰিয়ানুজ দা আৰু চন্দ্ৰা বাৰ পি এইচ ডি এন্ট্ৰেন্স ক্লিয়েৰ হয় ইয়াতে আৰু আমি আকৌ যাতে---"

"ছোৱালী পলুৱাব পাৰোঁ।" হিমাদ্ৰীয়ে কথাটো সম্পূৰ্ণ কৰিলে।

kaushik

লগে লগে গোটেই ঠাইখিনি কঁপি উঠিল সিহঁতৰ হাঁহিত।

"পিছে তৌফিক দাৰ ভাল খবৰটো গম পোৱা নে নাই?" ময়ূঁৰৰ কথাত সকলোৱে তৌফিকলৈ চালে।

"আমাৰ তৌফিকৰ চাকৰি হৈ গ'ল। ই টিভি ভাৰত হায়দৰাবাদত।"

প্ৰিয়ানুজে কোৱাৰ লগে লগে চবেই চিঞৰি উঠিল,

"কি কোৱা, বঢ়িয়া।"

"কংগ্ৰেটছ তৌফিক।"

"পাৰ্টি লাগিব দেই।"

সকলো আছিল যদিও পখী নাছিল। চন্দ্ৰালীয়ে এবাৰ সুধিলে,

"পখী ক'ত? নাই যে?"

"কাইলৈ চব যাবগৈ। তাই আৰু আজি হুঁচত থাকিব নে?" সন্ধ্যাই ক'লে। সকলোৱে পখী ক'ত আছে বুজিছে বাবে হাঁহিছিল যদিও অভিমন্যুৰ হুঁমুনিয়াহটো অকল ময়ূঁৰে মন কৰিছিল। অলপ সময় কথা পাতি সিহঁত যাবলৈ ওলাল। কাইলৈ তৌফিক আৰু প্ৰিয়ানুজহঁতো যাবগৈ। তৌফিকে কেইদিন মানৰ পাছতে জইনেই কৰিবগৈ।

"কাইলৈ যোৱাৰ আগত লগ পাম এবাৰ চবেই দেই।" প্ৰিয়ানুজে ক'লে।

সময়বোৰ যেন হাতেৰে ধৰিব খুজিছে সিহঁতে। সন্ধ্যাই চন্দ্ৰালীক সাৱটি ধৰি উচুপি উঠিল। চন্দ্ৰাই মৰমেৰে ক'লে,

"নাকান্দিবা সন্ধ্যা। চোৱাচোন, এই যে আমি গোটেইবোৰ এনেকৈ বহি আড্ডা মাৰিব পৰাকৈ মানুহ কেইটামান পাইছোঁ, এই যে আগলৈ নাতি পুতিক ক'বলৈকে ইউনিভাৰ্চিটীখনত আঁচল ভৰাই স্মৃতি গোটালোঁ, এয়াও জানো প্ৰাপ্তি নহয়?"

হিমাদ্ৰীয়ে ক'লে,

"ঠিক কৈছা চন্দ্ৰা। আমি য'তেই নাথাকোঁ কিয়, সদায় একলগ হৈয়ে থাকিম।"

চন্দ্ৰালীয়ে এইবাৰ অভিমন্যুক ক'লে,

Kaushik

"সন্ধ্যাক বেছিকৈ জোকাই মেলি নাথাকিবা কিন্তু দেই। আৰু ময়ূঁৰকো বেছি আমনি নকৰিবা।"

ময়ূঁৰে হাঁহিছিল। অৱশেষত সকলো নিজৰ নিজৰ হোষ্টেললৈ গৈছিলগৈ বুকুত এহেজাৰ জীয়া গল্প লৈ।

ৰাতি সোৱণশিৰীত পাৰ্টি। কাৰ ৰুমত হৈছে সন্ধ্যাইও নাজানে। দেৰিকৈ ৰুমলৈ অহা পথীক দেখি হে তাই অনুমান কৰিছে। থৰক বৰক খোজেৰে আহি পথীয়ে সন্ধ্যাক ক'লে,

"এই ৰুণ, ৰুণ। শুন না।"

"এই সোপা নাখালে নহয় নেকি তোৰ হা?" সন্ধ্যাই কাপোৰ জাপি জাপি কৈছিল। কাইলৈ পথীৰ মাক দেউতাক আহিব। সিহঁতৰ গাড়ীতে সন্ধ্যাও যাবগৈ।

"আৰে কিয় নাখাম বে? মোৰ সোৱণশিৰীক মই এৰি যাম বে।"

পথীৰ কথাত হাঁহি হাঁহি সন্ধ্যাই ক'লে,

"বৰ মৰম লাগিল তোৰ হোষ্টেললৈ আজি।"

পথীয়ে সন্ধ্যাক টানি আনি বিচনাত বহাই লৈ ক'লে,

"মোৰ কাৰণে তই মোৰ সোৱণশিৰী বে। বহুত শিকালি মোক যোৱা দুটা বছৰত তই। এই বনৰীয়া পথীজনীক ঘৰচীয়া বনালি তই। সৰু পৰা আমি একেলগে ৰাস নাচি ডাঙৰ হ'লো। কিন্তু এই দুবছৰৰ কথা মোৰ সদায় মনত থাকিব ৰুণ।"

সন্ধ্যাৰ চকু চলচলীয়া হৈছিল যদিও তাই জোৰকৈ ৰখাই ক'লে,

"এতিয়া শোঁ গৈ যা। ৰাতিপুৱা বৰতা বৰমাহঁত আহি দেৰি হ'লে দুইজনীয়ে গালি খাম।"

"এই ৰুণ, এটা কবিতা শুনিবি কবিতা?"

পথী বিচনাত উঠিল যদিও নিচাতে কৈ গৈছে,

"ৰাতিবোৰ ইমান অকলশৰীয়া কিয় হয়,

Kaushik

কঁপালৰ লিখনিত অভিযোগ কিয় হয়,

কেতিয়াবা লগ পালে সুধিবা চোন ভগৱানক

যাক পাব নোৱাৰি তাৰ লগত ভালপোৱা কিয় হয়!"

সন্ধ্যা যেন চঁক খাই উঠিছিল পখীৰ কবিতাত। পখী তেতিয়ালৈ চকু মুদি টোপনিত গৈছিলগৈ। হয়তো কি কৈছে তাইৰ হুঁচ নাই। কিয় জানো সন্ধ্যাৰ এনে অনুভৱ হৈছে কিজানি পখীয়েও এই কাঞ্চনৰ চহৰত এৰি গৈছে মৰহা কাঞ্চনৰ গোলপীয়া ৰং।

পখীলৈ চাই বৈ অহা চকুপানীখিনি মচি বিচনাত বাগৰিল সন্ধ্যা।

"ভূতৰ কাহিনীবোৰ শুনিলে আৰু ভাল নলগা হ'ব তৌফিক দা।"

ৰাতি ভাত খাই শেষ বাৰলৈ কেম্পাছটোত খোজ কাঢ়িবলৈ বুলি ওলাই আহিছে তৌফিক, প্ৰিয়ানুজ, অভিমন্যু আৰু ময়ূঁৰ। বাটতে অভিমন্যুয়ে কোৱা কথাষাৰত মনটো সেমেকি উঠিল গোটেই কেইটাৰ। তৌফিকে ক'লে,

"ৰ'বা মই গৈ লওঁ। এইবাৰ হায়দৰাবাদ আহি যাবা। তাত ভূত বিচাৰিম চবেই।"

"হয় অ', বৰ সোনকালে গুছি গ'ল সময়বোৰ।" প্ৰিয়ানুজে এটা হুঁমুনিয়াহ সৰাই ক'লে।

"বাই দা ৱে, কাইলৈৰ পৰাতো কোন ক'ত যাব পাত্তা নাই। আজি শেষবাৰলৈ আমাৰ দীপক দাক কামোৰ এটা দিলে কেনে হয়?"

অভিমন্যুয়ে উলিয়ালে কথাটো। এনে লোভনীয় প্ৰস্তাৱ না কৰাৰ প্ৰশ্নই নুঠে। লগে লগে গোটেই প্লেনটো বনালেই প্ৰিয়ানুজে। প্লেন অনুসৰি কাঞ্চনজংঘাৰ সমুখৰ পুলটোৰ কাষতে ফিল্ডৰ অলপ তললৈ গৈ লুকাই থাকিল অভিমন্যু আৰু প্ৰিয়ানুজ। এইফালে তৌফিক থাকিল কাঞ্চনজংঘালৈ সোমোৱা ৰাস্তাটোৰ কাষৰ নাহৰজোপাৰ আঁৰত। প্ৰথমে আপত্তি কৰিলেও সকলোৰে নেৰানেপেৰা অনুৰোধত ময়ূঁৰে দীপকলৈ ফোন লগালে,

"দীপক দা, প্ৰিয়ানুজ দাৰ কিবা এটা হৈছে। মাথা ঘূৰাই পৰিলে ৰুমতে। সোনকালে আহক।"

"কি? ৰ'বা ৰ'বা গৈছোঁ মই ৰ'বা।"

Kaushik

প্ৰিয়ানুজে জানিছিল ময়ূঁৰৰ বাহিৰে বেলেগে কৰিলে দীপকে বিশ্বাস নকৰে। ফোন কাটিয়ে চব নিজৰ নিজৰ পজিচনলৈ গ'ল। ময়ূঁৰো তৌফিকৰ লগতে লুকাল। বেছি ৰ'ব লগা নহ'লেই, দীপক আহিলেই। মুখেৰে কিবা ঘোষা এটা বিৰবিৰাই অহা দীপকক দেখিয়ে গম পাইছে বেচেৰা অকলে আহিব লগা হোৱাত ভাল ভয় খাইছে।

"কৃষ্ণ এক দেৱ দুঃখহাৰী

কাল মায়া আদিৰো অধিকাৰী---"

ঘোষাটো গাই গাই পুলটোৰ ওচৰ পাওঁতেই ঘপকৈ অভিমন্যু আৰু প্ৰিয়ানুজে এটা বিকৎ চিঞৰ মাৰি ওলাই আহিল ফিল্ডৰ ফালৰ পৰা। সিহঁতে অনুমান কৰাৰ দৰেই "ঔ মাই মৰিলোঁ" বুলি দীপক উলটি আকৌ কাঞ্চনজংঘালৈ দৌৰিলে। লগে লগে ৰাস্তাটোৰ কাষতে নাহৰজোপাৰ আঁৰত ৰৈ থকা তৌফিকে দীপকক জপটিয়াই ধৰিলে।

"ঔ মোক এৰি দে অ'। অ' মই বুঢ়া গোসাঁই থানত এথোক মালভোগ কল দিম ঔ। মোক নিনিবি ঐ। বৌটি ঔ, ক'লৈ গ'লি।"

বুলি চিঞৰিবলৈ ধৰিলে দীপকে। এইফালে অভিমন্যু আৰু প্ৰিয়ানুজৰ হাঁহিত অৱস্থা নাই। ৰাস্তাৰ মাজতে বহি দিছে সিহঁতে হাঁহি হাঁহি। ময়ূঁৰৰ দীপকৰ অৱস্থাটো দেখি বেয়া লাগিল। সি আগত গৈ ক'লে,

"দীপক দা, অ' দীপক দা আমিহে।"

দীপকে তেতিয়াহে মানুহ কেইটাৰ মুখলৈ চালে। ৰাস্তাত বহি হাঁহিত বাগৰি থকা অভিমন্যুকহঁতক দেখিয়ে গোটেই ষড়যন্ত্ৰ কাৰ বুজিবলৈ বাকী নাথাকিল। ৰাস্তাৰ মাজতে চিঞৰিবলৈ লাগিল সি,

"ফটুৱামি কৰিবলৈ আহিছা এই ৰাতিখন? এনে বাঘৰ আগ তেল খোৱা ল'ৰা ঐ এইকেটা। শুই থকা মানুহটোক জগাই আনি কি ভেঙুচালিখন কৰিছে দেখিছা।"

তাৰ গালিত আৰু হাঁহি উঠিল প্ৰিয়ানুজহঁতৰ। হাঁহি হাঁহিয়ে ক'লে সি,

"এইকণ কলিজা লৈ কি কৰিবা হে দীপক তুমি?"

"গাঁৱত হ'ব লাগিছিল। মেচি দা খন লৈ ঘাপ মাৰি দিলোঁহেঁতেন মা থানি।" দীপকে ক'লে।

Kaushik

হাঁহি হাঁহি ৰাস্তাত বহিয়ে আড্ডা মাৰিলে সিহঁতে। দীপকৰো খং কমিল। এই যে ৰাতিটো পাৰ হোৱাৰ পাছতে ধেমালিবোৰ শেষ হ'ব সেইটো ভাবি হুঁমুনিয়াহ সৰিছিল সকলোৰে। অলপ সময় থাকি সকলো উভতিল। দীপকো কাঞ্চনজংঘালৈ সোমাই গ'ল। কাইলৈ পুৱা যাবগৈ সকলো ঘৰাঘৰি।

"এইটো আধাই হৈ থাকিল চা।"

ৱালত পথীয়ে অঁকা ছবিখনলৈ দেখুৱাই সন্ধ্যাই ক'লে। পথীয়ে ৱালত পেইন্টিং কৰিম বুলি মাজতে ৰং কিনি আনিছিল। আৰম্ভও কৰিছিল। পিছে এলাহ আৰু বিভিন্ন কাৰণত সেইটো সম্পূৰ্ণ নহ'ল। এতিয়া ৰাতিপুৱা যাবলৈ ওলাই সন্ধ্যাই পথীক সেইটো দেখুৱালে। পথীয়ে আগুৱাই আহি ছবিখনৰ ওপৰত হাত বুলাইছিল। এপাহ অসম্পূৰ্ণ গোলাপৰ ছবি। তাৰ পাছত তাই সন্ধ্যাক ক'লে,

"কিছুমান বস্তু আধৰুৱাকৈ এৰি দিব লাগে। তেতিয়াহে পুনৰ ঘূৰাই পোৱাৰ অৱকাশ থাকে।"

"তোৰ যে কথা কিবা সাঁথৰ যেনহে লাগে মোৰ আজিকালি। কালি ৰাতিও কি যে--"

সন্ধ্যাৰ কৈ নহওঁতেই ফোনটো বাজিল। প্ৰিয়ানুজে কৰিছে। সিহঁত যাবলৈ ওলাইছে।

"পথী, ব'ল। প্ৰিয়ানুজ দাহঁত যায় গৈ। মাত লগাই আহোঁ।" সন্ধ্যাই ক'লে। কাপোৰখিনি বেগত ভৰাই পথীয়ে ক'লে,

"মই নাযাওঁ দে। তই গৈ আহ। প্ৰিয়ানুজক ক্লাছত পাইছোঁৱেই সিদিনা। হ'ব আৰু, পাছতো পামেই লগ।"

সাধাৰণতে পথীয়ে কিবা কথাত না কৰিলে সন্ধ্যাই তাইক জোৰ কৰি মনাব পাৰে। কিন্তু আজি পথীৰ কথাটোত এনে এক কঠোৰ সুৰ আছিল যে সন্ধ্যাইও দুনাই জোৰ কৰিবলৈ সাহস নকৰিলে। অগত্যা তাই অকলেই ওলাই গ'ল।

পাটকাইৰ আগত অনুৰণ ৰৈ আছিল। সন্ধ্যা গৈ পাই সুধিলে,

"প্ৰিয়ানুজ দাহঁত ক'ত?"

"আহি আছে। বস্তু উলিয়াইছে।" অনুৰণে ক'লে। সন্ধ্যা মনে মনে ৰ'ল। মনটো কিবা উকা উকা লাগিছে তাইৰ। কিমান যে চিনাকি মুখ হেৰুৱাব এতিয়াৰ পৰা।

Kaushik

"মন বেয়া?" অনুৰণে সুধিলে।

"অলপ, পথীক বৰ মিছ কৰিম হোষ্টেলত। চব যাবগৈয়ে।"

"মই আছোঁতো।" অনুৰণে ক'লে তাৰ চিনাকি সুৰটোৰে। সন্ধ্যাই মিচিকিয়ালে।

"সন্ধ্যা, ওলালো আৰু দেই।" প্ৰিয়ানুজহঁত ওলাই আহিল পাটকাইৰ পৰা। লগে লগে তৌফিক আৰু দীপকো। পিছে পিছে ময়ূঁৰ আৰু অভিমন্যু। সন্ধ্যাই বেগৰ পৰা গামোছা তিনিখন উলিয়াই তৌফিক, প্ৰিয়ানুজ আৰু দীপকক দি ক'লে,

"ভনী বুলি বিহুৱান এখনকে দিছোঁ। মায়ে নিজে শালত বোৱা। কেতিয়াবা মনত পৰিলে এইখনকে গাত ল'ব।"

প্ৰিয়ানুজৰ চকু চলচলীয়া হৈছিল। দীপকে ফেঁকুৰি ক'লে,

"তোমাৰ মনটো সদায় এনেকৈয়ে ধুনীয়া কৰি ৰাখিবা। পাহৰি নাযাবা আমাক।"

"তৌফিক দা, হায়দৰাবাদী বিৰিয়ানী খাই আমাক নাপাহৰিব কিন্তু।"

তৌফিকৰো চকুপানী বৈছিল। সঁচাই কিমান মায়া আছিল সম্পৰ্কবোৰত। তেজৰ সম্পৰ্কতকৈও যে এইবোৰ বহু ঊৰ্ধত। এনেতে বাছখন ৰ'লহি। এইবাৰ সকলোকে আচৰিত কৰি ময়ূঁৰে তৌফিকক সাৱটি ধৰি উচুপি উঠিল। প্ৰিয়ানুজ আৰু দীপকেও লগে লগে সাৱটি ধৰিলে। অভিমন্যুয়েও ইফালে ফেঁকুৰি উঠিল।

"অভিমন্যু, ল'ৰাটোক বেছি গালি পাৰি নাথাকা যাতে।" ময়ূঁৰৰ মূৰত হাত বুলাই দীপকে ক'লে।

"ই বেছি কিবা ক'লে মোক ক'বা। মই আহি যাম একদম।"

প্ৰিয়ানুজে কৈছিল। সকলোকে বিদায় জনাই সিহঁত বাছত উঠিল। সকলোলৈকে শেষ বাৰলৈ হাত জোকাৰিলে। স্মৃতিবোৰ ধূলিৰে উৰুৱাই আগবাঢ়িল বাছখন। অনুৰণ, অভিমন্যু, ময়ূঁৰ আৰু সন্ধ্যা ৰৈ গৈছিল বাছ ষ্টপটোত।

সন্ধ্যাৰ ফোন বাজিল। পথীয়ে কৰিছে,

"তই মেইন গেটলৈকে আহ। আমি তাতে ৰৈছোঁ।"

Kaushik

"যাওঁ মই। পথীহঁতৰ গাড়ী মেইন গেটত ৰৈছে।" সন্ধ্যাই ক'লে।

"অনুৰণ, থৈ আহা অ' এইক।" অভিমন্যুয়ে কোৱাৰ লগে লগেই ময়ূঁৰে ক'লে,

"অনুৰণৰ লগত মোৰ কাম এটা আছিল। অভি, তই থৈ আহ না তাইক।"

"আৰে নালাগে। এইকণ যে যাব পাৰিম মই।" সন্ধ্যা অকলে যাব ওলাইছিল যদিও ময়ূঁৰে আকৌ ক'লে,

"একো নাই। অভিয়ে থৈ আহিব। যা না অভি।"

অভিমন্যুয়ে বুজিছিল ময়ূঁৰে কিয় তাক পঠাইছে। হয়তো শেষ বাৰৰ বাবে পথীক চাবলৈ যি হেঁপাহ জাগিছিল অভিমন্যুৰ চকুত, সেয়া আনে নেদেখিলেও ময়ূঁৰে ঠিকেই অনুভৱ কৰিছিল। চাইকেলখনত সন্ধ্যাক বহুৱাই অভিমন্যু গেটৰ ফালে আগবাঢ়িল।

গেটৰ ওচৰৰ বাছ ষ্টেণ্ডটোতে পথীহঁতৰ গাড়ীখন ৰৈ আছে। অভিমন্যুয়ে পানীৰ ফুঁৰাৰাটোৰ ওচৰতে চাইকেল ৰখাই সন্ধ্যাক ক'লে,

"যা"

"তইও ব'ল আকৌ। পথীক মাত লগাই আহিবি।"

অভিমন্যুক হাতত ধৰি লৈ গৈছিল গাড়ীৰ ওচৰলৈ। যন্ত্ৰৰ দৰে গৈ আছিল অভিমন্যু।

"ইমান দেৰি কৰিছ নে তই, মই যে ৰৈ--"

সন্ধ্যাক কথাটো কওঁতে হঠাৎ অভিমন্যুক দেখি ৰৈ গ'ল পথী। সন্ধ্যা গাড়ীত উঠিল। পথীলৈ চাই অভিমন্যুয়ে ক'লে,

"বাই"

"বাই" অস্পষ্ট মাতেৰে পথীয়েও কৈ গাড়ীৰ গ্লাছখন উঠাই দিলে। চকু আঁতৰাই আনিলেও অভিমন্যুৰ বৈ অহা চকুপানীৰ টোপালটো পথীৰ চকুত পৰিছিল। গাড়ীখন আগবাঢ়িল। অভিমন্যু ৰৈ গ'ল তাতেই। মূৰটো ছিটত হাওলি পেলাই দিলে পথীয়ে। সন্ধ্যাই নেদেখাকৈ ৰুমালেৰে মচি দিলে চকুপানী খিনি। গাড়ীত বাজি আছিল "মন যায়"ৰ শেষৰ কলিটো,

"সুখী হৈয়ে ৰোৱা মই অবিহনে এইয়া মোৰে শুভকামনা

Kaushik

লাহে লাহে আঁতৰাই আনি ল'লো মই মোক তোমাৰ পৰা

কিনো হ'ল সপোন সপোনেই ৰ'ল

সাধনা আজি যেন আধৰুৱা হ'ল

মন যায় মন যায় মন যায়......."

(আগলৈ)

#নিৰিবিলি

Part 97

এদিন প্ৰেমে বন্ধুত্বক সুধিছিল, "মই থাকোঁতে পৃথিৱীত তোমাৰ প্ৰয়োজন ক'ত? মইতো সকলোৰে হৃদয়ত ভালপোৱাৰ বতাহ বোৱাইয়ে আছোঁ।" তেতিয়া বন্ধুত্বই মিচিকিয়া হাঁহিৰে কৈছিল, "তুমি যাৰ হৃদয়ত বিষাদৰ ধুমুহা বলাই এৰি যোৱা, মই তেওঁৰ কাষতেই থাকোঁ চিৰকাল।"

নতুন ছেমিষ্টাৰ, নতুন শিক্ষাবৰ্ষ আৰু কাঞ্চনৰ চহৰত অভিমন্যুৰ চাৰি অৰ্থাৎ শেষৰটো বছৰ। পথীৰ ঘটনাটোৰ পৰা সি ভিতৰি ভিতৰি যেন মানুহটো ভাঙি পৰিছিল। শেষ বছৰটো বুলি একো যেন হেঁপাহ নাছিল মনত। ৰংবিহীন হৈ পৰা অভিমন্যুৰ ইউনিভাৰ্চিটীৰ জীৱনটোত একমাত্ৰ ৰং সানিছিল ময়ূঁৰ আৰু সন্ধ্যাৰ বন্ধুত্বই। সঁচাই, প্ৰেমে এৰি যোৱা বিষাদৰ ধুমুহাজাকক স্তিমিত কৰাৰ ক্ষমতা যে অকল বন্ধুত্বৰ হে আছে। পৃথিৱীত কোনো নাথাকিলেও সন্ধ্যা আৰু ময়ূঁৰ যে সদায় তাৰ লগত আছে আৰু থাকিব সেইটো অভিমন্যুয়ে ভাল দৰেই জানে। সেইবাবে সিহঁতৰ লগত অন্তিমটো বছৰ পাৰ কৰিবলৈ সিও যেন হেঁপাহেৰে উভতি আহিছিল ইউনিভাৰ্চিটীলৈ। কোৰ্চ ৰেজিষ্ট্ৰেচন হোৱাৰ দুদিন আগেয়েই কেম্পাছ পালেহি সি। এইবাৰ তাৰ আকৌ নতুন ৰুমমেট। নতুন যিয়ে নাহক কিয় অভিমন্যুৰ বাবে প্ৰিয়ানুজ দাৰ দৰে আন কোনো হ'ব নোৱাৰে। এইবাৰ ইউনিভাৰ্চিটীখন যেন এক নতুন হৈ ধৰা দিছে তাৰ চকুত। হয়তো সময়বোৰ শেষ হ'ব হৈছে বাবে সকলো নতুন যেন লাগিছে। যি কি নহওঁক, হাতত এটা বছৰ আছে। এই বছৰটো সি হেঁপাহ আৰু উদ্যমেৰে জীয়াব কাঞ্চনৰ মাজত।

Kaushik

এইবাৰ সন্ধ্যাক থ'বলৈ দেউতাক নাহিল। দেউতাকৰ গাটো বৰ ভাল নহয়। তাইয়ে মানা কৰিলে। যোৱা তিনি বছৰে অহা যোৱা কৰি কৰি এতিয়া সন্ধ্যাৰ বিশেষ অসুবিধা নহয় একো। মাত্ৰ অহাৰ বাটটোত পখীলৈহে খুব মনত পৰিছিল তাইৰ। যোৱা দুটা বছৰে পখীৰ লগত কমখন উৎপাত কৰিছে নে তাই! সেই ৱাল পাৰ হোৱা, মাহীৰ লগত কাজিয়া, শিখা বাক পলুৱাই অনা আৰু যে কত কি। এতিয়া চোন সেইবোৰ কিবা সাধুকথা হোৱাদি হ'ল। পখী কেইদিন মান আগত সন্ধ্যাহঁতৰ ঘৰলৈ আহিছিল। তাইক মৰম কৰি ভালকৈ থাকিবলৈ কৈ গৈছে।

এইবাৰ পিছে সন্ধ্যাৰ নতুন ৰুমমেট নাই। কাৰণ যোৱাৰ আগতেই তাই ছিংগল ৰুমৰ বাবে এপ্লাই কৰি গৈছিল। ল'ৰা নাইবা ছোৱালী প্ৰতিখন হোষ্টেলতে প্ৰতিটো উইঙত এটাকৈ ছিংগল ৰুম থাকে। ছিনিয়ৰ ছোৱালীবোৰে শেষ ফাললৈ ছিংগল ৰুমত থাকিবলৈ লয়। সন্ধ্যাই প্ৰিফেক্ট ঝৰ্ণাক কৈ থৈছিল। ৱাৰ্ডেনলৈ এপ্লিকেচন এখনো দি গৈছিল। গতিকে বৰ বিশেষ অসুবিধা নোহোৱাকৈয়ে সন্ধ্যাই ছিংগল ৰুম পাই গ'ল। ভালেই, বিদিশা বা আৰু পখী যোৱাৰ পাছত সেই ৰুমটোত আন যিয়েই নাহক সন্ধ্যা চাগে কেতিয়াও মিলিব নোৱাৰিব। গতিকে এই দুবছৰ অকলেই থাকিব তাই। এতিয়া মাষ্টাৰ্চত পঢ়াৰ প্ৰেচাৰো বাঢ়িব। সেয়ে অকলে থকাই ভাল।

কথাবোৰ ভাবি থাকোঁতেই শব্দ কৰি ব্ৰেক মাৰিলে টেম্পুখনে। মিছন চাৰিআলিত নামি বাছলৈ নৰৈ টেম্পুতে আহিল সন্ধ্যা। টেম্পুখনত ইউনিভাৰ্চিটীলৈ অহা আৰু কেইটামান ল'ৰা ছোৱালী আছিল। সেই কাৰণে ভালেই হ'ল। টেম্পুৰ পৰা নামি মানি বেগত পইছা খুচৰি পাঁচশ টকাৰ নোট এখন ড্ৰাইভাৰ জনলৈ আগবঢ়ালে সন্ধ্যাই। বাকী ল'ৰা ছোৱালী বোৰেই নিজৰ নিজৰ পইছা দি গৈছে।

"খুচুৰা একদম নাই বাইদেউ। খুচুৰা দিয়ক।"

ড্ৰাইভাৰজনৰ কথাত বেগটো খুচৰি চালে সন্ধ্যাই। নাই, খুচুৰা একেবাৰেই নাই তাইৰ। মিছনৰ পৰা ইউনিভাৰ্চিটিলৈকে ত্ৰিছ টকা। তাইৰ হাতত পাঁচশ টকীয়া খনৰ বাদে এটকাও নাই। সন্ধ্যাই ইফালে সিফালে চালে। দোকানবোৰো ভালকৈ খোলা নাই। যি দুই এখন খুলিছে, তাত খুচুৰা নাপাই বুলি সন্ধ্যাইও জানে। এই খুচুৰাটোৱে বৰ ডাঙৰ সমস্যা মানে। তাতে চৰকাৰে এহেজাৰ টকা বন্ধ কৰি আৰু কেঁচকাল লগালে। সেই কেইদিন যে সন্ধ্যাহঁতৰ কমখন জ্বালা হৈছিলনে। বেচেৰা অভিমন্যুয়ে হোষ্টেলত মেছৰ পইছা দিবলৈ এটিএমৰ পৰা দুখন এহেজাৰ টকীয়া নোট উলিয়াই আনিছিলহে। আহি গম পাইছে যে এহেজাৰ আৰু পাঁচশ টকা বন্ধ। দুদিন মান ভাল অভাৱত চলিল

Kaushik

সন্ধ্যাহঁত। শেষৰ ফাললৈ যেনিবা বকুল দাই পইছা পাতি ধাৰলৈ দি সহায় কৰিছিল সিহঁতক। সেইবোৰ সমস্যাই এতিয়াও দেখা দিয়ে মাজে মাজে। ইউনিভাৰ্চিটী এটিএমত অকল দুহেজাৰৰ নোটহে ওলায়। তাৰ পাছত সেইখন খুচুৰা কৰিবলৈ দৌৰোঁতে দৌৰোঁতে অৱস্থা বেয়া হৈ যায়।

"কি হ'ল বাইদেউ? হাতত পইছা নাথাকিলে গাড়ীত কিয় আহে খোজকাঢ়ি আহিব।"

টেম্পু ড্ৰাইভাৰজনে এইবাৰ কিছু ৰুক্ষ ভাৱে ক'লে সন্ধ্যাক। ইহঁতৰ পৰা ইয়াতকৈ ভাল ব্যৱহাৰ আশা কৰাও বেয়া। মাজে মাজে টেম্পু আৰু ষ্টুডেন্টৰ কাজিয়াৰ কথা ওলায়ে থাকে। এই মূহুৰ্তত সন্ধ্যাৰ লগত পখী থকা হ'লে নিশ্চয় তাই লাগিয়ে গ'লহেঁতেন। এতিয়া সন্ধ্যা কি কওঁ নকওঁ অৱস্থাত পৰিল। তেনেতে টেম্পুতে অহা ছোৱালী এজনী আগুৱাই আহি ড্ৰাইভাৰজনক ক'লে,

"দাদা, এইটো লওঁক। এখেতৰটো মইয়ে দি দিছোঁ। আৰু দাদা, আমি জানো আপোনাৰ ভনীৰ দৰে নহয়। কথাটো ইমান টানকৈ নক'লেওতো হয়।"

ছোৱালীজনীৰ মৰমসনা কথাটোত কঠুৰা ড্ৰাইভাৰটোৰো যেন বেয়া লাগিছিল। সি ক'লে,

"বেয়া নাপাবা দেই। এই কিছুমান পেচেঞ্জাৰে বৰ ঝেং কৰি থাকে। সেইকাৰণে আৰু।"

সন্ধ্যাই ঘূৰি চালে। অলপ ওখকৈ মিঠা বৰণীয়া ছোৱালীজনীয়ে পইছাটো আগবঢ়াই দিছে। ড্ৰাইভাৰজনে টপককৈ লৈ আগবাঢ়িল। সন্ধ্যাৰ আগতে ছোৱালীজনীক দেখা মনত নপৰে। হাঁহি মুখীয়া ছোৱালীজনীৰ মাতটোও বৰ মৰম লগা। সন্ধ্যালৈ চাই হাঁহি এটা মাৰিলে তাই।

"থেংক ইউ। আচলতে এই খুচুৰাৰ বৰ সমস্যা। মই তোমাক আগৰ দোকানৰ পৰা কৰি দিম ব'লা।" সন্ধ্যাই ক'লে। ছোৱালীজনীয়ে হাঁহি মাৰি কৈছিল,

"ইটচ অ'কে। একো নাই। পাছত দি দিবা কেতিয়াবা।" বুলি কৈ ছোৱালীজনী আগবাঢ়িল গেটৰ ফালে। সন্ধ্যাই এক মূহুৰ্তৰ বাবে চাই ৰৈছিল তাইলৈ। কোন বাৰু ছোৱালীজনী? এষাৰ কথাৰেই ড্ৰাইভাৰৰ খঙকো বশ কৰি পেলালে তাই। নিজে বিচাৰিলেও সহায় কৰা মানুহ নোলোৱা আজিৰ পৃথিৱীত এনে উপযাচি সহায় কৰা মানুহ দেখিলে আচৰিত হোৱাটোৱে স্বাভাৱিক। ছেহ, তাইক নামটোও সোধা নহ'ল।

Kaushik

হ'ব দে, পাছত লগ পালে সুধিম বুলি সন্ধ্যা লাহে লাহে ইউনিভাৰ্চিটীৰ ভিতৰত সোমাল।

পুৰণি ৰুমৰ পৰা নতুন ৰুমলৈ বস্তুবোৰ আনোঁতেই বহু সময় লাগিল সন্ধ্যাৰ। পুৰণা ৰুমটো খালী হোৱাৰ পাছত এবাৰ দুৱাৰ মুখত ৰৈ চাইছিল তাই। পখীয়ে আধা অঁকা ছবিটো ৰৈ গ'ল তাতেই। বিদিশা বাহঁতৰ চিঞৰবোৰ, পখীৰ হুলস্থুলবোৰৰ যেন এক প্ৰতিধ্বনি শুনিছিল। এটা হুঁমুনিয়াহ সৰাই আঁতৰি আহিছিল সন্ধ্যা নতুন ৰুমলৈ। নতুন ৰুমটো ছিজিল কৰি মেলি অঁতাই মানে সন্ধিয়াই লাগিল। ভাগৰুৱা শৰীৰটো তাই এৰি দিলে বিচনাত। অকলশৰীয়া ৰুমটোত তাইৰ কিবা বেলেগ পৃথিৱীত থকাৰ দৰে লাগিছিল। অলপ ভয়ো লাগিছিল, তাই পাৰিবনে দুবছৰ অকলে কটাব? পাৰিব, কিয় নোৱাৰিব!

মোবাইলটো খুলি চাওঁতেহে সন্ধ্যাই দেখিলে অভিমন্যুৰ তিনিটা মিচকল আৰু অনুৰণৰ মেচেজ এটা,

"Oi ahi pala?"

অভিমন্যুক ফোন কৰি আবেলি লগ কৰাৰ কথা ক'লে। অনুৰণকো মেচেজ দি থ'লে সন্ধ্যাই। ঘৰৰ পৰা অহাৰ পাছত চিনাকি মানুহখিনিক লগ পালেহে আকৌ কেম্পাছটোত মন বহাব পৰা যায়। অলপ সময় জিৰাই লৈ ওলাই যাম বুলি ঠিক কৰি সন্ধ্যাই চকু দুটা মুদি বিচনাত বাগৰিলে।

"আৰে ভাইয়া, হামকো ছিংগল ৰুম চাহিয়ে। আপ চমঝতে ক্যো নেহি হ'?"

পাটকাইৰ কেয়াৰ টেকাৰ ল'ৰাজনক ছিংগল ৰুম বিচাৰি ভাল কামোৰ দিছে নতুনকৈ অহা বিহাৰী ল'ৰা এটাই। বেচেৰাক কোনে ক'ব, ইয়াত লাগ বুলিলেই ছিংগল ৰুম নাপায়। তাৰ চিঞৰ বাখৰত অভিমন্যুৰ দুপৰীয়াৰ টোপনি ভাঙিল। সাৰ পাওঁতেহে গম পালে তাৰ নতুন ৰুমমেট আহিছে বিহাৰৰ পৰা। আহিয়ে হুলস্থুল ছিংগল ৰুম লাগে। কেয়াৰ টেকাৰজনে ভঙা ভঙা হিন্দীত তাক ভেকাহি মাৰিছে,

"ঐ, তুম পহিলা দিন মে ক্যা ইয়ে হুলস্থুল কৰতা হাই? এইখন তুমাৰা বাপ কা হোটেল নেহি হাই।"

তাৰ হিন্দীত অভিমন্যুৰ টোপনিৰ জালতে হাঁহি উঠিল। হাঁহি হাঁহিয়ে সি ক'লে,

Kaushik

"কি হ'ল পুটু? বেলেগ হিন্দী মাৰিছ চোন।"

এইবাৰ কেয়াৰ টেকাৰটোয়ে অভিমন্যুৰ ফালে চোঁচা ল'লে,

"শৰ্মা দা, আপোনাক কিমান কৈছোঁ। মোৰ নাম পুটু নহয়। আচল নাম মোৰ পুটুকণ। আধাকে মাতিলে অমুকাই বেয়া পায়।"

পুটুকণ হাতীমূৰীয়া। পাটকাইত নতুনকৈ অহা কেয়াৰ টেকাৰ। যোৱা ছেমিষ্টাৰৰ শেষৰ ফালে আহিছিল সি হোষ্টেললৈ। আহিয়েই ন বোৱাৰীৰ দৰে যেন গোটেই হোষ্টেল চম্ভালি লৈছে পুটুকণে। কাৰোবোৰ কাপোৰ ধুব লগা হ'ল, "পুটুক মাত মেচিনত দি দিয়ক", কেন্টিনৰ পৰা কিবা আনিব লাগে, "পুটুক ফোন কৰ লৈ আনি দি যাব ৰুমত", পৰীক্ষাৰ সময়ত বাহিৰৰ পৰা কিবা আনিব লাগে, "পুটুক ক", মেচৰ ভাত থৈ দিব লাগে, "পুটুক কথাটো কৈ থ", কাৰোবাৰ ৰুম চিফট কৰিব লাগে, "পুটুক মাতি আন"। মুঠতে সৰু সুৰা যিয়ে সমস্যা নহওঁক, পাটকাইত পুটুকণ নহ'লে নচলেই। সিও বিনা অভিযোগত সকলোৰে কাম কৰি যায়। ৰুমত ঝাৰু দিয়াৰ পৰা কাপোৰ সামৰালৈকে চব সি হে চম্ভালে। তাৰ বাবে সকলোৰে মৰমতে তাক বিছ ত্ৰিছ টকা দি থাকে। পুটুকণৰ সেইকণেই সুখ। তাৰ মাত্ৰ খং এটাতে উঠে, এই তাৰ নামটো পুটুকণৰ ঠাইত চবেই পুটু বুলি মাতে। তাৰো কাহিনী আছে। পুটুকণে গাঁৱত ছোৱালী এজনী ভাল পাইছিল। পিছে তাই বেটীয়ে পুটুকণৰ পৰা পাউদাৰ টেমাটো, চেন্টৰ বটলটো সৰকাই সৰকাই মাজতে কোনোবা চাকৰি কৰা এটালে পলাই গ'ল। খঙে বেজাৰে পুটুকণ গাওঁ এৰি এই পাটকাই পালেহি। তাই হেনো পুটুকণক মৰমতে "পুটু" বুলি মাতিছিল। গতিকে এতিয়া কোনোবাই পুটু বুলি মাতিলে পুটুকণৰ বুকুখন হেনো মৰমৰাই যায়। সেইকাৰণে আজি অভিমন্যুয়ে পুটু বুলি মাতোঁতে তাৰ টিঙিচকৈ খংটো উঠিল। ওলাই অহা হাঁহিটো সামৰি অভিমন্যুয়ে ক'লে,

"হ'ব দে অ' বোপাই পুটুকণ, কি হ'ল ক কেচটো?"

"কি হ'ব আৰু, এইজন আপোনাৰ নতুন ৰুমমেট। লাট চাহাবৰ পুতেক। আহিয়ে চিংগল ৰুম লাগে। তাৰ বাপেকৰ ধাৰ খাই থৈছিলোঁ যে আমি।"

পুটুকণৰ খংটো বুজিলে অভিমন্যুয়ে। নতুন নতুন ল'ৰাবোৰ আহি আছে। গতিকে প্ৰিফেক্ট ৱাৰ্ডেনতকৈও বেছি দৌৰা দৌৰি পুটুকণৰহে।

"হ'ব দে, তই যা। মই ইয়াক বুজাই ক'ম বাৰু।"

Kaushik

অভিমন্যুয়ে আশ্বাস দিলত পুটুকণ ওলাই গ'ল ৰুমৰ পৰা। অভিমন্যু উঠি আহিল ল'ৰাটোৰ ওচৰলৈ,

"হাই, আই এম অভিমন্যু।"

অভিমন্যুয়ে আগবঢ়াই দিয়া হাতখনত হেণ্ডচেক দি ল'ৰাটোৱে ক'লে,

"মাইচেল্ফ ইচান আগৰৱাল।"

ইশান, অভিমন্যুৰ ভাল লাগিল নামটো। অভিমন্যুয়ে তাক ভালকৈ বুজাই দিলে তেজপুৰৰ নিয়ম কানুন। সি আচৰিত হ'ল যদিও বুজি পালে। ইশানে কিবা ডিপ্লমা কোৰ্চহে কৰিবলৈ আহিছে হেনো ষ্টেটিকটিকছত। এবছৰীয়া কোৰ্চ। কিন্তু সি চিংগল ৰুমৰ আশা কৰিছিল। তথাপি এতিয়া উপায় নাই যেতিয়া মানি ল'লে আৰু। ইশানক বুজাই বঢ়াই অভিমন্যুও বিচনাত পৰিল।

"অ' যাদৱ উঠা বনমালী, ত্ৰিজগতৰ পতি হে"

প্ৰিয়াই সুৰ লগাই লগাই গাই জগাওঁতেহে সাৰ পালে সন্ধ্যাই। এই প্ৰিয়াজনীও যে, য'তে ত'তে ফটুৱামী। চকু কেইটা মোহাৰি বিচনাত বহিল সন্ধ্যা। চকীতে বহি প্ৰিয়াই ক'লে,

"তোক যে বহুত বেয়া পাইছোঁ মই যা।"

"কিয় বা?"

"কি কিয়? ছিংগল ৰুম লোৱাতকৈ তই মোৰ লগতেতো আহিব পাৰিলি হয়।"

প্ৰিয়াৰ কথাত হাঁহি হাঁহি সন্ধ্যাই ক'লে,

"আৰু কিবা? দুইজনী একেটা ৰুমতে সোমালে পঢ়া হ'বনে কচোন।"

"হুঁহ, হ'ব যা।"

অভিমানত প্ৰিয়াই মুখ ঘূৰালে। সন্ধ্যা উঠি আহি তাইৰ গালত চিকুট এটা মাৰি গালে,

"অভিমান কিয়নো কৰা, অ' মোৰে প্ৰিয়া।"

"হ'ব হ'ব। যা মুখ ধোঁ গে। তই ৰিচিভ নকৰা দেখি অভিমন্যুয়ে মোলৈকে ফোন মাৰি আছে। জুৰিহঁতো চব ওলাই আহিছে। খাব ওলাই যাওঁ গোটেই গাল এপাক।"

Kaushik

প্ৰিয়াই কওঁতেহে সন্ধ্যাই মোবাইলটো চালে, অভিৰ পাঁচটা মান মিচকল। সিহঁতৰ গোটেই গ্ৰুপটোৰ এইটো নিয়মৰ নিচিনাই। বন্ধ খোলাৰ দিনা গোটেই কেইটা এবাৰ লগ হ'বই। তাতে অভিৰ আৰু এবছৰ, বেচেৰা ভিতৰি ভিতৰি অলপ দুখতো আছে চাগে। লৰালৰিকৈ মুখখন ধুই সন্ধ্যা আৰু প্ৰিয়া ওলাই গ'ল।

কাঞ্চনজংঘাৰ পুলটোতে বহি আছে সন্ধ্যা। দুমাহৰ মূৰত বহিছে পুলটোত। এই ঠাইখিনিৰ মায়া সঁচাকৈ বেলেগ। প্ৰতিটো ঋতুতেই যেন নতুন নতুন ৰূপ লয় এই ঠাই ডোখৰে। ফাগুণত নাহৰ আৰু কাঞ্চনৰ সৰাপাতে ভৰাই, শীতত আকৌ চোন কুঁৱলীয়ে বগাকৈ সজাই। দিনটোৰ সমস্ত ভাগৰ যেন ইয়াতে শেষ হয়। সন্ধ্যা অলপ সময় বহি ৰ'ল তাতে। প্ৰিয়াই অলপ আঁতৰত কাৰোবাৰ লগত ফোনত কথা পাতি আছে। অভিমন্যুহঁতো আহি আছে ইয়ালৈকে। ইফালে জুৰিহঁতো পাবহি। কোনো আহি পোৱা নাই বাবে সন্ধ্যা অকলেই বহিছে যদিও বৰ অকলশৰীয়া যেনো লগা নাই। হয়তো মানুহ নিজৰ লগত থাকিলেই আটাইতকৈ বেছি পূৰ্ণ হৈ থাকে। দুমাহৰ মূৰত ফিল্ডখন জী উঠিছে চিঞৰ বাখৰেৰে। আহোঁ আহোঁ কৰা শৰতৰ চেঁচা বতাহজাকক সাৱটি সন্ধ্যাই ফিল্ডলৈকে চাই আছিল।

"বহুদিন সন্ধ্যাৰ আকাশ চোৱা নাই, বহুদিন সন্ধ্যাৰ সৰাফুলো বুটলা নাই।"

হঠাৎ চিনাকি মাত এটা শুনি সন্ধ্যাই ঘূৰি চালে। হাঁহি মুখেৰে পুলটোৰ কাষত ৰৈ আছে চন্দ্ৰালী।

"চন্দ্ৰা বা, তুমি?" সন্ধ্যাৰ চকুযোৰ যেন উজ্জ্বল হৈ পৰিছিল।

"অঁ মই। কিয় আহিব নালাগিছিল নেকি?"

"ধেৎ কি যে কোৱা। তাৰ মানে তুমি--"

সন্ধ্যাৰ কৈ নহওঁতেই চন্দ্ৰালীয়ে ক'লে,

"পি এইচ ডিত পালোঁ ইয়াতে।"

লগে লগে জঁপ মাৰি উঠিল সন্ধ্যা। ফুৰ্তিতে চন্দ্ৰালীক সাৱটি ধৰিলে তাই,

"কি বঢ়িয়া খবৰ"

"চন্দ্ৰালী বা, পাৰ্টীটো কিন্তু লাগিব দেই।"

Kaushik

অভিমন্যুহঁতো আহি ওচৰ পাইছিলহি সিহঁতৰ। চন্দ্ৰালীয়ে সিহঁতলৈ হাঁহি এটা মাৰি ক'লে,

"নিশ্চয় নিশ্চয়। হ'ব পাৰ্টী এটা। পিছে এতিয়া যাওঁ দেই। অলপ কাম আছে। কথা পাতা তোমালোকে।"

সন্ধ্যাহঁতক তাতে এৰি চন্দ্ৰালী গ'লগৈ। সন্ধ্যাৰ মনটো যেন ভৰি উঠিছিল। চন্দ্ৰা বাৰ অবিহনে সঁচাই চৌহদটো উকা উকা লাগিলহেঁতেন।

"অহা বছৰ ফেয়াৰৱেল দিবি আৰু মোক।" অভিমন্যুয়ে সন্ধ্যালৈ চাই ক'লে।

"হ'ব হে। তুমি এতিয়াই ফেয়াৰৱেলৰ চেন্টি দিব নালাগে। এবছৰ আছে হাতত।"

লগতে থকা বিশ্বজিতে দবিয়ালে। পুলতে বহি আড্ডা মাৰিবলৈ লাগিল গোটেই কেইটা। অলপ পাছতে জুৰি আৰু সীমাও আহি পালেহি। কথাৰ মাজতে অভিমন্যুয়ে জুৰিক ক'লে,

"জুৰি ঔ, এইবাৰ তহঁতে নতুন ক্লাছমেট পাবি নহয়। মোলে চাই দিবি আৰু এজনী।"

অভিমন্যুয়ে ঠিকে কৈছিল। Integrated MA ত থকা সন্ধ্যাহঁতৰ এইবাৰৰ পৰা ক্লাছবোৰ দুবছৰীয়া MA ত নতুনকৈ এডমিশ্যন লোৱাখিনিৰ লগত একেলগে হ'ব। অৰ্থাৎ এইবাৰ সিহঁতে নতুন ক্লাছমেট পাব। অভিমন্যুৰ কথাত জুৰিয়ে ক'লে,

"ৰহ অ', চিন্তাই হৈছে। কেনেকুৱা বা আহে নতুন গাল।"

"যেনেকুৱাই নাহক। আমাৰ পুৰণাখিনি মুঠতে একলগ হৈ থাকিব লাগিব বুইছ।"

সীমাৰ কথাত সমৰ্থন কৰি নিমিষাইও ক'লে,

"তাকেই, আমি একেলগে থাকিলেই হ'ল।"

"মুঠতে মোলে এজনী পতাই দিবি। ইমানবোৰ লগৰ থাকিও যদি এজনী পতাব নোৱাৰ আৰু কি দুখৰ কথা থাকিল আৰু।"

অভিমন্যুৰ কথাত হাঁহি উঠিল গোটেই কেইজনীয়ে। মাজতে সীমাই ক'লে,

"এইটোৰ অকল এইসোপাই কথা। একেলগৰ অনুৰণক দেখিছ নে, আজিলৈকে এজনী ছোৱালীও চাই পোৱা নাই।"

Kaushik

অনুৰণে মিচিকিয়া হাঁহিৰে তলমূৰ কৰিছিল। সন্ধ্যাই সুযোগ পাই কৈছিল,

"হয় দেই, এইবাৰ আমি চবেই মিলি অনুৰণলৈহে এজনী চাব লাগিব।"

আকৌ চবেই জোৰেৰে হাঁহি উঠিল। অনুৰণে আনে নুশুনাকৈ সন্ধ্যালৈ চাই মুখেৰে কিবা এটা ক'লে। কোনেও নুবুজিলেও সন্ধ্যাই বুজিলে তাৰ কথাটো,

"কাম নাই আৰু ন?"

আড্ডা মাৰি মাৰিয়ে সিহঁতবোৰ বাহিৰ পালেগৈ। বাহিৰত গোবিনতে কিবা কিবি খাই চব নিজৰ নিজৰ হোষ্টেললৈ গ'ল। কাইলৈ পুৱাই নতুন ছেমিষ্টাৰৰ কোৰ্চ ৰেজিষ্ট্ৰেচন। যাওঁতে চবেই কথা পাতি গ'ল যে নতুন ক্লাছমেট যিয়ে নাহক সিহঁত চব একেলগে থাকিব।

পিছে সময় ইমান মসৃণ নহয়। সিহঁতবোৰৰ সৰলতাক উপলুঙা কৰি বতাহজাকো যেন জোৰকৈ বলিছিল।

Kaushik

ৰাতিপুৱা ডিপাৰ্টমেন্টৰ বাহিৰে ভিতৰে ভিৰ। নতুনকৈ ষ্টুডেন্টবোৰ আহিছে। প্ৰকাণ্ড বিল্ডিংটোৰ তলাতল ঘৰৰ দৰে ডিপাৰ্টমেন্টবোৰ দেখি বেচেৰাহঁতৰ খেলিমেলি লাগি অৱস্থা নাই। এডুকেশ্যনৰ ষ্টুডেন্ট সোমাইছেগৈ ছ'চিয়লজীত, হিন্দীৰ ষ্টুডেন্ট আহি পাইছেহি ইংলিচত। মুঠতে খিচিৰি গোটেইখন। বাহিৰতো দৌৰা দৌৰি। কাৰোবাৰ ফৰ্ম হেৰাইছে। কোনোবাই লগৰবোৰলৈ ৰৈ আছে।

সন্ধ্যাহঁতৰ ক্লাছৰুমতে পিছফালৰ বেঞ্চ এখনত বহি ফৰ্ম ফিল আপ কৰিবলৈ লৈছে অনুৰণে। ৰুমটোত আৰু জুৰি, নিমিষা, ময়ূঁৰহঁতকে ধৰি আৰু কোনোবা কোনোবা আছিল। একে সোপা কথাই বাৰে বাৰে চাৰিখনকৈ ফৰ্মত লিখি থকাটোওঁ বৰ দিগদাৰ। অকল সেই নিজৰ নাম, পেপাৰ কেইখনৰ নাম আৰু ক'ড। হঠাতে দৌৰা দৌৰিকৈ ৰুমত সন্ধ্যা সোমালহি। অনুৰণৰ বেঞ্চখনতে বহি দিলেহি তাইও। মূৰটো ধুই চুলি মেলিয়েই আহিছিল তাই। সন্ধ্যাৰ তিতা চুলিৰ চিটিকণি আৰু সদ্যস্নাতা সুগন্ধই যেন অনুৰণকো চঞ্চল কৰি তুলিছিল।

"ইমান দেৰি যে?" ফৰ্মখনত লিখি থাকিয়েই সি সন্ধ্যাক সুধিলে।

তিতা চুলিখিনি পিছলৈ ঠেলি দি সন্ধ্যাই ক'লে,

"ছিংগল ৰুম ল'লো যে। সাৰেই নাপাওঁ অ'।"

"হ'ল আৰু তেন্তে। এইবাৰ ক্লাছ এটাও নাপাবাহি চোন।"

কিলাকুটিটো বেঞ্চত ভেঁজা দি হাতৰ তলুৱাত মূৰটো আওঁজাই সন্ধ্যাই অনুৰণৰ ফালে চাই ক'লে,

"তুমি আছাতো। জগাই দিবা আকৌ।"

অনুৰণে সন্ধ্যাৰ ফালে চাই মিচিকিয়ালে। তাৰ পাছতে সৰুকৈ ক'লে,

"বদমাছ।"

কথা পাতি পাতিয়ে সন্ধ্যাহঁতে ফৰ্ম ফিল আপ কৰিবলৈ লাগিল। তেনেকুৱাতে ডিপাৰ্টমেন্টৰ অফিচত থকা সূৰ্য দাই আহি খবৰটো দিলেহি,

"Integrated চেভেন ছেম আৰু মাষ্টাৰ্চ ফাৰ্ষ্ট ছেম, তোমালোকৰ CBCT ল'ব লাগিব দেই। সেইটো ল'লেহে HoD য়ে চাইন কৰিব।"

লগে লগে ৰুমটোত গুমগুমণি এটা উঠিল। CBCT অৰ্থাৎ Choice Based Credit Transfer। মানে TU ৰ নিয়ম মতে মাষ্টাৰ্ছখিনিয়ে নিজৰ পেপাৰ কেইখনৰ বাহিৰেও এখন অন্য ডিপাৰ্টমেন্টৰ পেপাৰ ল'ব লাগে। যিহেতু সন্ধ্যাহঁতো এতিয়া মাষ্টাৰ্ছত সোমাল গতিকে সিহঁতেও ল'ব লাগিব এতিয়া CBCT। অৱশ্যে বিএ বিএডৰ অভিমন্যুহঁতে থাৰ্ড ছেমৰ পৰাই লৈ আহিছে CBCT। এই কোৰ্চ ৰেজিষ্ট্ৰেচনৰ দিনাই CBCT বিচাৰি হাঁহাকাৰ হৈ যায় ষ্টুডেন্টবোৰৰ। সেইবাবে বন্ধৰ পাছত প্ৰথম খোলোতে "কি খবৰ"ৰ ঠাইত সকলোৱে সোধে, "CBCT কি ল'লি"। এৰা, TU এনেকুৱাই।

ইমান দিনে CBCT ৰ ব্যস্ততা সন্ধ্যাহঁতে খোৱা নাছিল যদিও এইবাৰ ভালকৈ পাইছে। পিছে আনৰ দৰে সন্ধ্যাৰ বৰ বেছি অসুবিধা নহ'ল। অভিমন্যুয়ে খুব সহজেই সন্ধ্যা, অনুৰণ আৰু ময়ূঁৰক এডুকেশ্যনৰে পেপাৰ এখন লোৱাই দিলে।

"Value Education, ইজি পেপাৰ। বৰ বেছি প্ৰেচাৰ নাথাকে। মই অফিচৰ দাদাজনক কৈ থৈছোঁ। তোমালোকে গৈ নামটো দিলেই হ'ল।"

সন্ধ্যাহঁতক কথাখিনি কৈ আঁতৰি গ'ল অভিমন্যু। এইবোৰ কামত মেনেজ দিয়াত সি এনেও পাৰ্গত। তাৰ যহতে বৰ বিশেষ কষ্ট নোহোৱাকৈ সন্ধ্যাহঁতে CBCT পাই গ'ল। সেইবোৰৰ কৰি ৱাৰ্ডেনৰ চহী লৈ সন্ধ্যা আকৌ ডিপাৰ্টমেন্ট পালেহি। HOD ৰ ৰুমলৈ

Kaushik

দীঘল লাইন লাগি আছে। ন পুৰণি বহুতো মুখ। অলপ সময় লাইনত ৰৈ তাই HoDৰ চাইনটো আনি অফিচত জমা দিবলৈ গ'ল। সূৰ্য দাক এই ফৰ্মখিনি জমা দিলেই আজৰি আৰু।

"তোমাৰ বেংক চালানখন দিয়া।"

ফৰ্মখন আগবঢ়াই দিওঁতে সূৰ্য দাই কওঁতেহে মনত পৰিল সন্ধ্যাই বেংক চালানখন দিয়াই নাই। চালান মানে এডমিশ্যনৰ ফিজ জমা দিয়া চালানখন। বেংকত ফিজটো জমা দি তাৰ পৰা চালানখন আনি কোৰ্চ ৰেজিষ্ট্ৰেচনৰ দিনা ডিপাৰ্টমেণ্টৰ অফিচত জমা দিব লাগে। ৱাৰ্ডেন আৰু HODৰ লগত সন্ধ্যাৰ চিনাকি। গতিকে আগৰে ষ্টুডেণ্ট বাবে চালান নোচোৱাকৈয়ে চহী কৰি দিলে। এতিয়া সূৰ্য দাই খোজোতে বেগত চাই সন্ধ্যাৰ বুকু কঁপি উঠিল। কাৰণ চালানখন নাই। তাৰমানে? দৌৰা দৌৰিতে তাই ক'ৰবাত পেলালে সেইখন। কিন্তু সেইখন নোহোৱাকৈতো এডমিশ্যনেই নহয়। সন্ধ্যাৰ যেন মূৰটোহে আচন্দ্ৰাই কৰিছিল। কাৰণ কেনেবাকৈ সেইখন নাপালে তাই আকৌ এডমিশ্যনৰ দহ হেজাৰ টকা ভৰিব লাগিব। গোটেই বেগটো খুচৰি চালে। নাই চালানখন ক'তো নাই।

"ইমান কেয়াৰলেচ নে? তুমিতো নতুন ষ্টুডেণ্ট নহয় সন্ধ্যা। ক'ত পেলোৱা বস্তুবোৰ?"

সূৰ্য দাৰ ধমকিত কন্দামুৱা হৈ গৈছিল সন্ধ্যা। কিন্তু চালানখন নাই যি নাইয়ে।

"সন্ধ্যা ৰাগিনী বৰুৱা তুমি নেকি?"

হঠাৎ চিনাকি মাত এটা শুনি সন্ধ্যাই ঘূৰি চালে। সেই ছোৱালীজনী, তাইৰ যে টেম্পুৰ ভাৰা দিছিল। তাইয়ে। সন্ধ্যাই মূৰ দুপিওৱাত ছোৱালীজনীয়ে ক'লে,

"এইখন তোমাৰ চালান। বাহিৰৰ ষ্টেপৰ ওচৰত পৰি আছিল। মই নামটো চিনি নাপালোঁ বাবে অফিচত দিবলৈ আহিছিলোঁ। বাত তুমি কিবা বিচাৰি থকা দেখি ডাউট হ'ল।"

ছোৱালীজনীৰ হাতৰ পৰা কাগজখন আনি চালে সন্ধ্যাই। উশাহ যেন ঘূৰি আহিছিল তাইৰ। উফ, কি যে বিপদ এটাৰ পৰা ৰক্ষা পৰিল। লগে লগে সূৰ্য দাক চালানখন দিলে তাই। সূৰ্য দাই জমা লৈ ষ্টুডেণ্ট কপিটো ঘূৰাই দিলে। সেইটো লৈহে সন্ধ্যাৰ মনত পৰিল, তাই ছোৱালীজনীক থেংকচ বুলিও নক'লে। ধেৎ তেৰি, ছোৱালীজনীয়ে তাইক কিবা অভদ্ৰ বুলি ভাবিছে চাগে। আচলতে চালানখন পোৱাৰ উচাহতে সন্ধ্যাৰ মুখৰ

Kaushik

পৰাই একো নোলাল। ছোৱালীজনী ইয়াত নতুন। নামটো বা কি? তাইক দুবাৰকৈ সহায় কৰা ছোৱালীজনীৰ নামটোৱে নাজানে। এইবাৰ লগ পালেই সুধিব লাগিব তাইক। কথাখিনি ভাবি ভাবি অফিচ ৰুমৰ পৰা ওলাই আহোঁতেই সন্ধ্যাই দেখিলে অফিচৰ কাষৰ ৰুমটোতে অনুৰণে বেঞ্চত কিবা কাগজ এখনত লিখি আছে। অথনি CBCT লোৱাৰ পাছতে অনুৰণ সিহঁতৰ ৱাৰ্ডেনৰ চাইন আনিবলৈ গৈছিল। তেতিয়াৰ পৰা তাক তাই লগ পোৱা নাই। এতিয়া দেখি সন্ধ্যা সোমাই গ'ল তাৰ ওচৰত। ফৰ্মত কিবা লিখি থকা দেখি তাই অনুৰণক সুধিলে,

"কি হ'ল? আকৌ ফৰ্ম লিখিছা যে?"

"এই এখনত ৰোল নম্বৰটো ভুলকৈ লিখিলোঁ ৰ'বা। আকৌ হোৱাইট নাৰ মাৰিছোঁ।" অনুৰণে লিখি থাকিয়েই ক'লে। সন্ধ্যাই বেঞ্চখনত হাওলি সুধিলে,

"হমম, লিখি থাকোঁতে মন ক'ত থাকে হা?"

অনুৰণে তাইৰ ফালে চাই ক'লে,

"ওচৰত বিশেষ কোনোবা বহি থাকিলে ক'ত আৰু লিখাত মন বহিব?"

"বদমাছ।" মুখত এমোকোৰা হাঁহি লৈ সন্ধ্যাই কৈছিল। এনেতে কোনোবা ছোৱালী এজনী সোমাই আহিল,

"এক্সকিউজ মি, হোৱাইট নাৰ হ'ব নেকি বাৰু?"

ছোৱালীজনী সেইজনীয়ে। সন্ধ্যাৰ টেম্পু ভাৰা আৰু চালানখন দিয়াজনী। সন্ধ্যাই ঘূৰি চাই তাইক দেখি ক'লে,

"ঐ তুমি, তোমাকে বিচাৰি আছিলোঁ। অথনি তোমাক থেংকচ বুলিও কোৱা নহ'ল। আচলতে ইমান টেনশ্যনত আছিলোঁ যে। থেংক ইউ চ' মাচ্চ।"

ছোৱালীজনীয়ে হাঁহিৰে ক'লে,

"নাই নাই একো নাই। হেৰোৱা বস্তু এটা ঘূৰাই পালে কেনেকুৱা লাগে মই বুজি পাওঁ। বাই দা ৱে হোৱাইটনাৰ হ'ব নেকি? মোৰ ভুল এটা হ'ল।"

অনুৰণে তাৰ হোৱাইটনাৰটো আগবঢ়াই দিলে। "মই দি আছোঁ হা" বুলি ছোৱালীজনী ৰুমটোৰ পৰা ওলাই গ'ল। সন্ধ্যাই লগে লগে দুষ্টালিৰ হাঁহি মাৰি অনুৰণলৈ চাই ক'লে,

Kaushik

"অনুৰণৰে দিন আৰু দেই, হোৱাইটনাৰ দিয়া লোৱা হ'লেই।"

সন্ধ্যাৰ কথাত জোৰকৈ হাঁহি উঠিল অনুৰণে। হাঁহি হাঁহিয়ে তাইক ক'লে,

"মনত আছে তোমাৰ?"

"কিয় নাথাকিব? ফাৰ্ষ্ট সেই হোৱাইটনাৰ লওঁতেই তোমাৰ লগত চিনাকি। পাছত যেতিয়া অভিয়ে Essentialত অনুৰণৰে দিন আৰু বুলি জোকাইছিল তেতিয়াহে গম পাইছিলোঁ নামটো। তুমিতো তেতিয়া আৰু অকল উম, অ, অকে এইবোৰহে কোৱা।"

অনৰ্গল কথা কৈ যোৱা সন্ধ্যালৈ চাই ৰৈছিল অনুৰণে একেথিৰে। লাহেকৈ কৈছিল সি,

"সঁচাকৈ তিনি বছৰ হৈ গ'ল ন?"

"অ ৰে। এতিয়াও সৌ সিদিনা নিচিনাহে লাগে।"

সন্ধ্যাৰ কথাৰ লগে লগে আকৌ ছোৱালীজনী সোমাই আহিল।

"থেংক ইউ" বুলি অনুৰণলৈ আগবঢ়ালে হোৱাইটনাৰটো। অনুৰণেও একো বিশেষ প্ৰতিক্ৰিয়া নিদি লৈ থ'লে।

"তুমি এইবাৰ আহিছা ন? কোন প্ৰগ্ৰামৰ?"

সন্ধ্যাই সোধোতে ছোৱালীজনীয়ে ক'লে,

"মাষ্টাৰ্চ ফাৰ্ষ্ট ছেম।"

"ডেটচ্ছ গ্ৰেট। আমাৰ ক্লাছমেটেই হ'বা তেন্তে।" সন্ধ্যাই উছাহেৰে কৈ নিজেই চিনাকি দিছিল,

"বাই দা ৱে, মই সন্ধ্যা আৰু এইয়া অনুৰণ। আমি একে ক্লাছৰে।"

"হাই" বুলি অনুৰণলৈ চাওঁ নাচাওঁকৈ চাইছিল ছোৱালীজনীয়ে। অনুৰণেও সৌজন্যতাৰ খাতিৰত হাঁহি এটাৰে সঁহাৰি জনাইছিল। সন্ধ্যাই আকৌ সুধিলে,

"তোমাৰ নামটো কি? এতিয়ালৈকে তিনিবাৰ লগ পালোঁ নামটোৱেই সোধা নাই।"

মিচিকিয়া হাঁহিৰে ছোৱালীজনীয়ে ক'লে,

"মোৰ নাম অনুৰাধা ।"

Kaushik

(আগলৈ)

#নিৰিবিলি

Part 98

"অনুৰাধা অনুৰাধা, ক'ত গ'ল এই ছোৱালীজনী?"

ক্লাছৰুমৰ বাহিৰত জুৰিৰ মাতটো শুনি অনুৰাধাই দুৱাৰৰ ফালে চাই মাত দিলে,

"এইফালে, ইয়াত আছোঁ।"

মাতটো শুনি জুৰি সোমাই আহিল,

"ইয়াত সোমাই আছহি তই। মই ভাবিছোঁ ক'ৰবাত হেৰালিগৈ নেকি?"

তাৰ পাছতে সন্ধ্যাহঁতক দেখি তাই আকৌ ক'লে,

"অহ, ইহঁতো আছে চোন। অনুৰাধা, ইহঁত আমাৰ ক্লাছমেট। এয়া সন্ধ্যা আৰু--"

জুৰিৰ কৈ নহওঁতেই অনুৰাধাই ক'লে,

"আমি চিনাকি হ'লো অ', এয়া সন্ধ্যা আৰু অনুৰণ।"

"ৱাহ, আগে ভাগে চিনাকি হ'লি। এইজনীয়ে সন্ধ্যা, তোক যে মই কৈছিলোঁ। আমাৰ ক্লাছৰ হিৰোইন একদম।"

জুৰিৰ কথাত সন্ধ্যা আৰু অনুৰণ দুইটাই হাঁহিলে। অনুৰাধাই অনুৰণলৈ চাই সুধিলে,

"আৰু এওঁ, এওঁ হিৰো নেকি?"

জুৰিয়ে হাঁহি হাঁহি ক'লে,

"নাই নাই নহয়। হিৰো বেলেগ এজনহে আছে। লগ পোৱাই দিম ৰহ তেওঁকো। খুব ভাল পাবি।"

জুৰিয়ে কাৰ কথা কৈছে বুজিবলৈ সন্ধ্যা আৰু অনুৰণ কাৰো অসুবিধা নহ'ল। দুইটাই হাঁহি উঠিল। সিহঁত ডিপাৰ্টমেণ্টৰ বাহিৰলৈ আহিবলৈ ওলাল। আহি থাকোঁতেই সন্ধ্যাই জুৰিক সুধিলে,

Kaushik

"জুৰিয়ে পিছে অনুৰাধাক কেনেকৈ চিনি পাঁৱ?"

"অনুৰাধা মোৰ নতুন ৰুমমেট আকৌ। এই এদিনতে তাইৰ লগত ভাল জমিছে মোৰ। তুমিৰ পৰা তই হৈ গৈছে।"

জুৰিৰ কথাত আকৌ হাঁহি উঠিল গোটেই কেইটাই। অনুৰাধাই ক'লে,

"আজিতো ক্লাছ নহয়, কেন্টিনত চাহ একাপকে খাই আহো ব'লা।"

সন্ধ্যা আৰু জুৰিয়েও অনুৰাধাৰ কথাত মান্তি হ'ল। কিন্তু অনুৰণে ক'লে,

"মোৰ কাম অলপ আছিল ৰুমত। তোমালোক গৈ থাকা নহ'লে।"

"ঠিক আছে, যা দে তই।" বুলি জুৰিয়ে অনুৰাধাক লৈ কেন্টিনৰ ফালে খোজ পোনালে। সন্ধ্যাই পিছে পিছে আহি অনুৰণক আগভেটি লৈ সুধিলে,

"কি মানে? নতুন ছোৱালীজনীৰ আগত ইমান কি এটিটিউড হা?"

"এটিটিউড নহয় অ'। এনে ভাল নালাগে মোৰ।" অনুৰণে ক'লে।

"কি আকৌ ভাল নালাগে, মই থাকিম নহয়।"

সন্ধ্যাৰ কথাত এক মূহুৰ্তৰ বাবে তাইৰ চকুলৈ চাই অনুৰণে ক'লে,

"সঁচাকৈ থাকিবাতো?"

"থাকিম অ'। শপ---ত।"

"আধাতে গুছি নোযোৱাতো?"

"তোমাক এৰি যাব পাৰিম জানো মই?"

"যাওঁ বুলি ক'লেও নিদিওঁ যাবলে।"

অনুৰণৰ কথাত হাঁহি উঠিল সন্ধ্যাৰ। হাঁহি হাঁহিয়ে তাই ক'লে,

"ব'লা এতিয়া।"

"সন্ধ্যা, ৰৈ গ'লি যে? আহ আকৌ।"

জুৰিয়ে আঁতৰৰ পৰা চিএৰিলে।

Kaushik

"গৈছোঁ ৰ, অনুৰণো যাব।" বুলি সন্ধ্যা আগবাঢ়ি গ'ল অনুৰণৰ সৈতে। কথা পাতি পাতি সিহঁত কেন্টিন পালেগৈ। তাত গৈ সন্ধ্যাহঁতৰ চকু কঁপালত উঠিল। কাৰণ তাত কেন্টিনখন নাই। তাৰ সলনি যাব নোৱাৰাকৈ বেৰ দি বন্ধ কৰি দিলে।

"হাৰে, কেন্টিনখন ক'লৈ গ'ল ইয়াৰ পৰা?" জুৰিয়ে আচৰিত হৈ ক'লে। উত্তৰ সন্ধ্যাহঁতৰ ওচৰতো নাছিল। এই দুমাহ বন্ধতে হঠাৎ কেন্টিনখনৰ এইটো দশা কোনে কৰিলে। আনকি লেডিছ টয়লেটোও নাই। তাৰ সলনি চাইন বোৰ্ড এখন মৰা আছে যে লেডিছ টইলেটটো ওপৰলৈ নিয়া হৈছে বুলি। হৈ কি আছে মানে এইবোৰ। সন্ধ্যা উভতি আহি অফিচৰ সূৰ্য দাক সুধিলেহি। তেতিয়াহে ওলাল উৰহি গছৰ ওৰটো। সন্ধ্যাহঁতৰ সকলোৰে প্ৰিয় কেন্টিনখন বন্ধ কৰিলে। মানে কেন্টিন থকা সেই প্ৰকাণ্ড ৰুমটো এতিয়া গাৰ্লছ হোষ্টেল বনাই দিলে।

"কি? গাৰ্লছ হোষ্টেল? তাকো হিউমেনিটিজ বিল্ডিঙত? এই ইউনিভাৰ্চিটীখন বলিয়া হ'ল নেকি?" জুৰিয়ে খঙেৰে কোৱা কথাটো শুনি সূৰ্য দাই হাঁহি হাঁহি ক'লে,

"উপায় নাই যে। নতুন নতুন প্ৰগ্ৰেম উলিয়াইছে। গতিকে ষ্টুডেন্ট বাঢ়িছে। ইফালে হোষ্টেল বনাবলৈ পইছা নাই। সেইবাবে এনেকৈ জোৰা টাপলি মাৰি আছে আৰু।"

সন্ধ্যাহঁতে তেতিয়াহে লাহে লাহে কথাবোৰ গম পালে। এই দুমাহতে ইউনিভাৰ্চিটীখনৰ নক্সা বহুত সলনি হ'ল। সন্ধ্যাহঁতৰ আগৰ পুৰণা ডিপাৰ্টমেন্টটোতো এতিয়া নতুন বয়জ হোষ্টেল এখন হ'ল। ট্ৰানজিত হেনো নামটো। ইফালে কমাৰ্চৰ ডিপাৰ্টমেন্টটোও হেনো এতিয়া হিউমেনিটিজ মানে সন্ধ্যাহঁতৰ বিল্ডিঙলৈ আনিব। আগতে সেইটো SOE মানে স্কুল অৱ ইঞ্জিনিয়াৰিঙৰ কাষতে মেনেজমেন্টৰ বিল্ডিঙত আছিল। এতিয়া তাত কিবা কনষ্ট্ৰাকচন হৈ থকাৰ বাবে কমাৰ্চটো ইয়ালৈ লৈ আনিব বোলে। এইফালে গাৰ্লছ হোষ্টেলৰ নামত কেন্টিনখনতো গ'লেই। মুঠতে এই বিল্ডিংটো কিবা শৰণাৰ্থী কেন্দ্ৰ হোৱাদি হ'ল আৰু। যাৰ যি অসুবিধা আছে চবকে ইয়ালৈ যেন পঠাই দিছে। বাকী যিয়ে নহওঁক, কেন্টিনখন নোহোৱা হোৱাৰ কথাটো শুনি সন্ধ্যাহঁতৰ মনটো সেমেকি উঠিছিল। কেন্টিনখনত সিহঁতবোৰৰ কমখন কাহিনী আছিল নে! ক্লাছৰ ফাঁকে ফাঁকে এবাৰ কেন্টিনলৈ এপাক যোৱা, চুকৰ টেবুল এখন চাই গোটেই জাক বহি লৈ আড্ডা মৰা, অফ ক্লাছবোৰত অকলে নিজান কেন্টিনখনত কফি একাপ লৈ কিবা উপন্যাস পঢ়ি থকা এই সকলো যেন এতিয়া স্মৃতিৰ পাপৰিত। সন্ধ্যাই নিজেও যে কিমান দিন অনুৰণৰ লগত একেলগে কফি খাই খাই বিভিন্ন কথা পাতিছিল। সিহঁতৰ কত যে মান অভিমানৰ সাক্ষী আছিল কেন্টিনখন। কিন্তু কি হ'ব, সলনিয়েই পৃথিৱীৰ একমাত্ৰ

Kaushik

সত্য। পৰিৱৰ্তন মানি ল'বই লাগিব। সদায় থকাটো থাকিয়ে যোৱা হ'লে পৃথিৱীখন কেতিয়াবাই স্তব্ধ হৈ গ'লহেঁতেন।

"একো নাই দিয়া, এমিনিটীলৈকে যাওঁ নহ'লে।" সন্ধ্যাহঁতৰ উদাস মুখ কেইখন দেখি অনুৰাধাই ক'লে। এৰা, এতিয়া আৰু এমিনিটীৰ বাহিৰে বেলেগ গত্যন্তৰ একো নাই। অগত্যা সিহঁত এমিনিটীলৈ আগবাঢ়িল।

নতুন মুখবোৰে ভিৰ কৰিছেহি এমিনিটীত। চাৰিওফালে কথাত হাঁহিৰ উজান, ছেল্ফিৰ পয়োভৰ। সোঁফালৰ ঘূৰণীয়া টেবুলখনতে বহি আছিল অভিমন্যু আৰু লগত প্ৰিয়ানুজ। সন্ধ্যাহঁত সোমাই যোৱা দেখিয়ে সি চিঞৰিলে,

"ঐ, এইফালে আহ।"

সন্ধ্যাহঁত আগুৱাই গ'ল। অনুৰণেই প্ৰথমে ক'লে,

"কংগ্ৰেটচ প্ৰিয়ানুজ দা।"

"থেংক ইউ।" প্ৰিয়ানুজে হাঁহি মুখেৰে কৈছিল।

"ৱাও, তাৰ মানে প্ৰিয়ানুজ দাইও পি এইচ দিত পালে। কি মজা খবৰ। এইবাৰতো ডাবল পাৰ্টি চন্দ্ৰা বা আৰু আপুনি একেলগে দিব লাগিব।" সন্ধ্যাই চকী এখনত বহি কৈ গৈছিল। সঁচাকৈ ভাল লাগিছিল মনটো। চিনাকি মুখবোৰেহে চৌহদটোক নিজৰ কৰি ৰাখে। কথাৰ মাজতে জুৰিয়ে অভিমন্যুহঁতক অনুৰাধাৰ লগত চিনাকি কৰাই দিলে,

"এইয়া অনুৰাধা দেই, আমাৰ নতুন ক্লাছমেট আৰু মোৰ ৰুমমেট।"

অনুৰাধাই হাঁহিৰে প্ৰিয়ানুজহঁতলৈ মূৰ দুপিয়ালে। অভিমন্যুয়ে লগে লগে হাতখন আগুৱাই দি ক'লে,

"হাই, মাই চেল্ফ অভিমন্যু। অভিমন্যু চৰ্মা।"

"অভি, অনুৰাধাই অসমীয়া বুজি পায়।"

সন্ধ্যাৰ কথাত লগে লগে হাঁহি উঠিল গোটেই কেইটাই। অভিমন্যুয়ে তাইলৈ পোন্দামোৱাকৈ চালে। জুৰিয়ে অনুৰাধাক ক'লে,

Kaushik

"অনুৰাধা, এইজনেই আমাৰ হিৰো অভিমন্যু। আগতে আমাৰ ক্লাছমেটেই আছিল। বিএ বিএডৰ যে, এতিয়া ক্লাছবোৰ বেলেগকৈ হয়।"

জুৰিৰ কথাৰ লগে লগে অভিমন্যুয়ে হুঁমুনিয়াহ টুকাৰ দৰে ক'লে,

"এৰা, আৰু মাত্ৰ এবছৰ আছে।"

"ঐ, হ'ব। চেন্টি ফালি থাকিব নালাগে সেইটো লৈ লৈ।" সন্ধ্যাই দবিয়াই উঠিল।

তেনেকুৱাতে চবলৈকে চাহৰ অৰ্ডাৰ দিওঁ বুলি প্ৰিয়ানুজ উঠি গ'ল। পইছা সিয়েই দিব। পিছফালৰ পৰা অভিমন্যুয়ে চিঞৰিছিল,

"প্ৰিয়ানুজ দা, মই চিকেন পেটিছ এটাও খাম।"

"গৰহ চব ক'ৰবাৰ।" সন্ধ্যাই মুখৰ ভিতৰতে ক'লে। চাহৰ ধোঁৱাবোৰৰ মাজতে আড্ডাও আগবাঢ়িল সিহঁতৰ। কোনে কি CBCT পালে, প্ৰিয়ানুজৰ গাইড কোন, অনুৰাধাই আগতে ক'ত পঢ়িছিল এই সকলোৰে আলোচনা হ'ল। এমিনিটীৰ নিচাটো এইখিনিতেই। পাতলকৈ বতাহ বলি থকা গছজোপাৰ তলত ঘূৰণীয়া টেবুলখনত বহিলেই কথা যেন শেষেই নহয়। চাহ খাই হোৱাত আটাইবোৰ যাবলৈ ওলাল। জুৰি আৰু অনুৰাধাৰ বাহিৰত কিবা কিনিবলৈ আছে বাবে মেইন গেটৰ ফালে ওলাই গ'ল। সন্ধ্যাও যাবলৈ ওলাওঁতেই অভিমন্যুয়ে ক'লে,

"প্ৰিয়ানুজ দা আৰু অনুৰণ গৈ থাকা চোন। সন্ধ্যাক মই থৈ আহিম।"

সিহঁতক তাতে এৰি অনুৰণহঁত আগবাঢ়িল।

সিহঁত আঁতৰি যোৱাৰ পাছত সন্ধ্যাই ক'লে,

"কচোন, কি কথা আছিল?"

"কেনেকৈ গম পালি?"

"জানোতো তোক।"

"ৰহ, ময়ূঁৰ মহামায়াতে আছে তাকো মাতি দিওঁ।" বুলি অভিমন্যুয়ে ময়ূঁৰলৈ ফোন লগালে। অলপ পাছতে ময়ূঁৰো আহি সিহঁতৰ ওচৰতে বহাত অভিমন্যুয়ে আৰম্ভ কৰিলে,

"আমিতো চবেই চবৰে বাৰ্থদে বোৰ পাইছোঁৱেই ন, সেই কাৰণে ভাবিছোঁ এইবাৰ যদি অনুৰণৰ বাৰ্থদেটো পাতোঁ কেনে হ'ব?"

Kaushik

"কিন্তু তাৰ বাৰ্থদেতো জুলাইতে পৰে।" সন্ধ্যা ক'লে।

"সেই কাৰণেইতো বাৰে বাৰে থাকি যায়। এইবাৰ পাতি দিওঁ। বি লেটেড বাৰ্থদে আৰু। ইয়াৰ পাছত মইনো আৰু ক'ত পাম।"

অভিমন্যুৰ এইবাৰৰ কথাটোত "ছেন্টি নিদিবি" বুলি গালি নিদিলে সন্ধ্যাই। কাৰণ তাই জানে, এইবাৰ অভিমন্যুয়ে কিবা ভাও ধৰি কোৱা নাই। তাৰ সঁচাকৈ সিহঁতক এৰি যোৱাৰ দুখটোৱে খুন্দা মাৰিছিল। সন্ধ্যাৰো মনটো সেমেকিছিল। তেনেতে ময়ূঁৰে ক'লে,

"ভালেই তেন্তে। বেছি দেৰি নকৰোঁ। দুই এদিনতে কৰা ভাল হ'ব। জুৰিহঁতকো কওঁ।"

ফাইনেল হৈ গ'ল। দুই এদিনৰ ভিতৰতে অনুৰণৰ বাৰ্থদে পাতিব। জুৰিহঁতক কোৱাত সিহঁতো মান্তি হ'ল। আনকি অনুৰাধাও।

ক্লাছটোত সোমায়েই চকু ডাঙৰ হৈ গৈছিল সন্ধ্যা আৰু প্ৰিয়াৰ। ক'ত সিহঁতৰ সৰু ত্ৰিছটা ষ্টুডেন্টৰ ক্লাছ আৰু ক'ত এইয়া ষাঠিটা ষ্টুডেন্টৰে ভৰ্তি হলটো। মাষ্টাৰ্চত অহা ষ্টুডেন্ট প্ৰায় পঞ্চাছটা মান হ'ব। সিহঁতৰ লগত আৰু Integrated খিনি মিলাই এজাক মান হৈছেগৈ। সেইবাবেই এতিয়াৰ পৰা সিহঁতৰ ক্লাছ আগৰ ক্লাছত হোৱাৰ পৰিৱৰ্তে টপ ফ্ল'ৰৰ হলটোত হ'ব। ইমানবোৰ ষ্টুডেন্টৰ মাজত সন্ধ্যাহঁতৰ নিজকে কিবা নতুন ঠাইত অহা যেন লাগিছে। যেনিয়ে চাই অকল নতুন মুখ। পুৰণিখিনি অ'ত ত'ত সিচঁৰতি হৈ আছে। সন্ধ্যাহঁত পিছৰ বেঞ্চতে বহিল। অলপ পাছতে সিহঁতৰ পাছৰ বেঞ্চত অনুৰণ আৰু ময়ূঁৰ বহিলহি।

"এইটো ক্লাছ নে কিবা মেলা বে?" ৰাজদ্বীপে আগফালৰ পৰা আহি ক'লে। সন্ধ্যাহঁতে হাঁহিছিল। মিছাও কোৱা নাই সি। চিনাকি কেইটা ক'ত যে সোমাই আছে ধৰিবই পৰা নাই। সন্ধ্যাহঁতৰ দুখনমান বেঞ্চৰ আগত জুৰি আৰু অনুৰাধা বহিছে। সিহঁতৰ কাষৰ শাৰীটোতে সীমা আৰু নিমিষা।

অলপ পাছতে শান্তিপ্ৰিয়া মেম অহাত ক্লাছটো আৰম্ভ হ'ল। মেমে প্ৰথমেই নতুনকৈ অহা মাষ্টাৰ্চখিনিক আদৰণি জনাই কিছু কথা ক'লে। লগতে আজি ক্লাছ আৰম্ভ কৰাৰ সলনি বেলেগ কিবা কৰাৰ কথা উলিয়ালে,

"Today is your first class right? So lets do something. Lets start with a lovely song. Anyone who would like to sing?"

Kaushik

প্ৰিয়াই লগে লগে সন্ধ্যাক ক'লে,

"যোৱা আইজনী, তোমাৰ ডিউটি আহি গ'ল।"

হাঁহি উঠিছিল সন্ধ্যাৰ। মিছাও নহয় প্ৰিয়াৰ কথাটো। কাৰণ আগতেও এনেকুৱা বহুবাৰ হৈছে কোনোবা টিছাৰৰ পঢ়াবৰ মন নাথাকিলে গান গাবলৈ দিয়ে। আৰু ধুনীয়া গাই বাবে দায়িত্বটো সন্ধ্যাৰেই পৰে। মৰম সনা কোমল মাতটোৰে সন্ধ্যাই ক্লাছৰ পৰিৱেশটোৱে যেন বেলেগ কৰি তোলে। এইবাৰো তাই ঠিক যাবলৈ লওঁতেই জুৰিয়ে কৈ উঠিল,

"Ma'am, our new comer Anuradha sings very well."

"Oh, thats great. Anuradha, please come."

মেমৰ কথাত অনুৰাধা উঠি গৈছিল সমুখলৈ। সন্ধ্যা বহি ৰ'ল। অনুৰাধাই খুব সাৱলীল ভাৱেৰে গাই গৈছে,

"Jaane keise bandhe tu ne akhiyon ke dor

Man mera khincha chala aya teri or

Mere chehre ke subh zulfon ki shaam

Mera sab kuch he piya ab se tere naam

Nazron ne teri chhuwa

Tu hai yih jaadu hua

Hone lagi hoon main haseen

Afreen Afreeeen Aafreen"

লগে লগেই হাত চাপৰিৰ শব্দত ৰজনজনাই গৈছিল ৰুমটো। সঁচাই বৰ ধুনীয়া অনুৰাধাৰ মাতটো।

"Your voice is so soothing Anuradha." মেমেও প্ৰশংসা কৰিছিল তাইৰ। "থেংক ইউ মেম" বুলি অনুৰাধা ছিটত বহিছিলগৈ।

সেইদিনা বেছি ক্লাছ নহ'ল। দুটা এটা ক্লাছ কৰিয়ে ওলাই আহিল চব। ওলাই আহোঁতেই আগফালে পৰীৰ লগত সন্ধ্যাৰ মুখামুখি হ'ল। পৰীয়ে বিদ্ৰুপৰ হাঁহি এটা মাৰি সন্ধ্যাক ক'লে,

Kaushik

"সন্ধ্যা, তোমাৰ দিন উকলিল আৰু। এতিয়া ডিপাৰ্টমেণ্টত অনুৰাধাৰ গুণগান আৰম্ভ হৈ গৈছে।"

সন্ধ্যাৰ খং উঠাৰ পৰিৱৰ্তে হাঁহি উঠিছিল। হাঁহি হাঁহিয়ে তাই ক'লে,

"ভালেই দিয়া, মই ৰিটায়াৰমেণ্ট লৈছো আৰু।"

পৰীয়ে একো নকৈ আগবাঢ়িল। সন্ধ্যাই আগফালে চাইকেল ষ্টেণ্ডটোৰ লগতে ৰৈ প্ৰিয়ালৈ ফোন লগালে। এইজনী ৱাছৰুম যাওঁ বুলি ক'ত জানো নোহোৱা হ'ল গে। ফোনটো ধৰিয়ে প্ৰিয়াই ক'লে,

"ঐ সন্ধ্যা, মই গুছি আহিলোঁ প্লাৱিতাৰ লগতে। তই আহি থাক হা।"

"প্লাৱিতা মানে?" সন্ধ্যাই চিনি পোৱা নাছিল।

"এই নতুনকৈ অহা প্লাৱিতা আকৌ। আমাৰ হোষ্টেলৰে যে।"

কথাটো কৈ ফোনটো কাটি দিলে প্ৰিয়াই। এতিয়াহে সন্ধ্যাৰ মনত পৰিল। মাষ্টাৰ্চত নতুনকৈ অহা ছোৱালী এজনীক তাই মেচত লগ পাইছিল। নামটো প্লাৱিতা। প্ৰিয়াৰ ৰুমৰ ওচৰতেই তাইৰ ৰুমটো। সেইবাবেই গুছি গ'ল চাগে। সন্ধ্যাই চিনাকি কাৰোবাক দেখে নেকি এবাৰ ঘূৰি চালে। জুৰিও অনুৰাধাৰ লগতে গ'ল চাগে। নতুন বিল্ডিং হোৱাৰ পৰা অনুৰণহঁততো সদায় সিটো ফালেৰেই যায়। কাকো নেদেখি সন্ধ্যা অকলেই আগবাঢ়িল হোষ্টেললৈ।

"কি হ'ল অকলে অকলে যে?"

ঘপকৈ আগত চাইকেলখন ৰখালেহি অভিমন্যুয়ে।

"প্ৰিয়া লগৰ এজনীৰ লগত গুছি গ'ল। জুৰিও অনুৰাধাৰ লগতে গ'ল চাগে। সেই কাৰণে অকলেই আৰু।" সন্ধ্যাৰ কথাত চেলাউৰি থোঁপাই অভিমন্যুয়ে ক'লে,

"আৰু সীমাহঁত ক'ত? সিহঁত যোৱাৰ টাইমত তোক ক'ব নোৱাৰে নি?"

তাৰ খং দেখি সন্ধ্যাই হাঁহি হাঁহি ক'লে,

"ধেই এইটো। কি কথাতনো লাগিছ। পাহৰিলে আৰু কিবা কাৰণত। আৰু মই কিবা সৰু ছোৱালী নেকি অকলে যে যাব নোৱাৰিম।"

"হ'ব দে, চাইকেলত উঠ।"

Kaushik

অভিমন্যুৰ কথাত চাইকেলত বহিল সন্ধ্যা। তাইক সোৱণশিৰীলৈকে থ'লৈগে অভিমন্যুয়ে। তাৰ পাছত সিও পাটকাই পালেগৈ। সন্ধ্যাক অকলশৰীয়া কৰা কথাটো যেন সি মানি ল'ব পৰা নাছিল। কিয় জানো তাৰ মনে কৈছিল আহিব লগা দিনবোৰ যেন সন্ধ্যাৰ বাবে বৰ সহজ নহ'ব।

অনুৰণৰ জন্মদিনৰ সকলো আয়োজন শেষ হৈছিল। আনবোৰৰ দৰে Essential তেই ঘূৰণীয়া টেবুলখন সজাইছিল সিহঁতবোৰে। অভিমন্যুৰ বাহিৰে বাকী সকলো আহি পালেহি। পুৰণিখিনিৰ লগতে অনুৰাধাও আহিছিল। সন্ধ্যাই কেকটোত মমবোৰ সজাই আছিল। বেছি সাৱধান হোৱাৰ বাবেই হ'বলা, হঠাৎ মম এডাল কেকটোতে পৰিল। কেকৰ ক্ৰীমেৰে বনোৱা ডিজাইনটোত অকণমান হেৰফেৰ হোৱাত সীমাই দবিয়াই উঠিল,

"ভালকে কৰিব নোৱাৰ নেকি সন্ধ্যা?"

লগে লগে ওচৰতে থকা পৰীয়ে ক'লে,

"অনুৰণৰ কেক যে, সেই কাৰণে। অভিমন্যুৰ হোৱা হ'লে ভালকৈ কৰিলেহেঁতেন।"

"তই নোৱাৰ যদি অনুৰাধাক দে।" জুৰিয়ে বেলুন ফুলোৱাৰ পৰাই মাত দিলে।

সন্ধ্যাই মুখেৰে একো নামাতিলে যদিও তাইৰ হৈ অনুৰাধাই ক'লে,

"মমডালহে পৰিছে। তাকো কাষত। ইমান কিয় ছিৰিয়াছ হৈছা। ধুনীয়াকৈ সজাইছে সন্ধ্যাই।"

অনুৰাধালৈ চাই হাঁহি এটা মাৰিছিল সন্ধ্যাই। সৰু কথাটোতে জুৰিহঁতে এইদৰে ক'ব বুলি হয়তো তাইও ভবা নাছিল।

অলপ পাছতে কিবা অজুহাত লৈ অভিমন্যুয়ে অনুৰণক Essential লৈ আনিলে। প্ৰথমে অনুৰণে আন কাৰোবাৰ জন্মদিন বুলিয়ে ভাবিছিল। পাছত জুৰিহঁতে কওঁতেহে গম পালে যে তাৰেই বাৰ্থদেৰ আয়োজন।

"কেলে কৰিব লাগে ৰে এইবোৰ।"

অনুৰণৰ কথাত জুৰিয়ে ক'লে,

Kaushik

"ইচ, লাজটো চোৱা তাৰ। কেক কাট।"

গোটেইবোৰৰ কোলাহলৰ মাজত অনুৰণে কেক কাটিলে। প্ৰথম পিচটো স্বস্তঃফুৰ্ত ভাৱেই সন্ধ্যাক খোৱাই দিলে সি। ময়ূঁৰ আৰু অভিমন্যুয়ে ইটোৱে সিটোলৈ চাই মিচিকিয়াইছিল।

"অনুৰাধাক দে এইবাৰ, আমাৰ নতুন মেম্বাৰ।" জুৰিয়ে অনুৰাধাক আগলৈ ঠেলি দিলে। অনুৰণে কেকৰ পিচটো লৈ তাইৰ ফালে আহোঁতে অনুৰাধা মুখখন মেলাৰ দৰে কৰিছিল। কিন্তু অনুৰণে হাতলৈ আগবঢ়াই মাত্ৰ ক'লে,

"লোৱা।"

সেমেকা হাঁহি এটা মাৰি অনুৰাধাই কেক টুকুৰ লৈছিল। তাৰ পাছতে সকলোৱে এপিছ এপিছকৈ কেক ল'লে। এবাৰ অভিমন্যুয়ে ক্ৰীম অলপ সন্ধ্যাৰ গালত সানি দিলে। লগে লগে তাইও খেদি গ'ল তাক। Essentialৰ ঘূৰণীয়া টেবুলবোৰৰ মাজেৰে দৌৰিছিল অভিমন্যু। পিছে পিছে সন্ধ্যা।

"সন্ধ্যাৰে ভাল আৰু, ব্ৰেক আপৰ পাছতো ল'ৰাক নচুৱাই আছে।"

"ভাল প্লেয়াৰ দেই।"

পৰী আৰু কোনোবা এজনীৰ কথা উফৰি আহি কাণত পৰিছিলহি অনুৰণৰ। শান্ত মাতটোৰে সি সিহঁতৰ ফালে চাই কৈছিল,

"সন্ধ্যাৰ মনত বেয়া ভাৱ নাই যে, সেইবাবে পাৰিছে। সকলোৱে ইমানখিনি কৰিব নোৱাৰে।"

কথাটো কৈয়ে হাত ধুবলৈ পিছফালৰ পানীৰ বেচিনটোলৈ উঠি গ'ল অনুৰণ। জুৰিকে ধৰি সকলোৱে চাই ৰৈছিল তালৈ। কেতিয়াও বেছি কথা নোকোৱা অনুৰণে সন্ধ্যাৰ পক্ষত থিয় দিয়াত যেন আচৰিত হৈছিল সকলো।

Essentialৰ পিছফালৰ বেচিনটোত হাত ধুই আছিল সন্ধ্যাই। চাবোনৰ ফেনখিনি হাতেৰে মোহাৰি লৈ মুখেৰে ফুঁৱাই গোল গোল চাবোনৰ বুদবুদবোৰ উৰুৱাই দিছিল। বতাহ তাইৰ আশে আশে উৰি ফুৰিছে ঘূৰণীয়া চাবোনৰ ফেনবোৰ। কোনোবাটো তাই চুই নিজেই ভাঙিও দিছে। অনুৰণে আঁতৰৰ পৰা চাই ৰৈছিল মাত্ৰ। মনত কিমানখিনি শিশু সুলভ সৰলতা থাকিলে এজনী মাষ্টাৰ্চ পঢ়ি থকা ছোৱালীয়ে চাবোনৰ ফেনেৰে বাবলচ

Kaushik

বনাই খেলিব পাৰে! আচৰিত হৈছিল অনুৰণ, এইজনী ছোৱালীৰ কথা বেয়াকৈ ভাবিবলৈ কিমান কুৎসিৎ হ'ব লাগিব মনটো।

হঠাৎ সন্ধ্যাই অনুৰণক দেখি ৰৈ গ'ল। অনুৰণ এখোজ দুখোজকৈ তাইৰ ফালে আহিছিল। সি কাষলৈ আহিলেই যে সন্ধ্যাৰ বুকুখনে কিবা ভাললগাকৈ কঁপনি তোলে। কোনে কয় প্ৰেম এবাৰ হয়, তাইচোন প্ৰতিদিনেই অনুৰণৰ প্ৰেমত পৰে।

"ঐ টিকলি, কি কৰি আছা এইবোৰ?" সন্ধ্যাৰ কাষলৈ আহি অনুৰণে সুধিছিল। পানীৰ টেপটো খুলি হাতটো ধুই ধুই সন্ধ্যাই ক'লে,

"টিকলি নহয় দেই মই। বুঢ়ী হ'লো এতিয়া।"

অনুৰণে সামান্য হাঁহিলে,

"এইবোৰ কৰি থাকিলেতো টিকলি বুলিয়ে ক'ম।"

"ভাল লগা কাম কৰিবলৈ সৰু হ'ব নালাগে বুইছা। বুঢ়া হ'লেও কৰিব পাৰি।"

কথাটো কৈ হাতৰ পানীৰ চিটিকণিখিনি অনুৰণৰ মুখলৈ চাটি মাৰি দিলে সন্ধ্যাই। চকু মুদি মুখখন ঘূৰাই দিছিল সি। খিলখিলাই হাঁহি আঁতৰি আহিছিল সন্ধ্যা। তাই এৰি যোৱা পানীৰ টোপাল কেইটা মোহাৰি নিদি ৰৈ আছিল অনুৰণ। সন্ধ্যাক ধেমালিতে জোকালেও সিও বিচাৰে তাই সদায় এজনী সৰু ছোৱালীয়ে হৈ থাকক। সি আৱৰি ৰাখিব সদায়।

Kaushik

সময় আগবাঢ়িছিল। চাওঁতে চাওঁতে পৰীক্ষাবোৰো হৈ গ'ল। আহিছিল সকলোৰে বেয়া পোৱা সময়টো। Assingment আৰু Presentation।

"এই কেইটা দিনেই মানে কামোৰ লাগি যায় কৈছোঁ নহয়।"

"কেলৈ দিব লাগেনো এইবোৰ? তাতকৈ ৰিটেন এক্সামেই ভাল।"

সকলোৰে মুখে মুখে এইকেইদিন অকল সেয়াই কথা। কিন্তু উপায়তো নাই। গতিকে দৌৰা দৌৰিকৈ Assignmentৰ কামত লাগে সকলো। এইবাৰ সন্ধ্যাহঁতৰ ষ্টুডেন্ট বেছি বাবে সকলো presentation গ্ৰুপতেই দিছিল যদিও সিদিনা বৰপাত্ৰ ছাৰে ক্লাছত ঘোষণা কৰিলে,

"I want you all make your assignments individually."

লগতে নিয়মবোৰো কৈ দিলে ছাৰে। সকলোৱে অকলে অকলে কৰিব লাগিব। presentation দিব লাগিব নে নাই সেয়া ছাৰে সময়ত ক'ব। কিন্তু assignment ৰ ৱৰ্ড লিমিট হ'ব লাগিব পাঁচ হেজাৰ। লগে লগে ক্লাছত ফুচফুচনি উঠিছিল,

"কি? ফাইভ থাওজেণ্ড?"

"আমাৰ এচাইনমেন্ট দিছে নে ন'ভেল লিখিবলে দিছে বে?"

"কিবা হৈছে নেকি ছাৰৰ? ইজ ইট পচিবল?"

"আৰে ডিজাৰ্টেচনো ইমান দীঘল নহয় বে।"

কিন্তু এবাৰ ছাৰে ক'লে যেতিয়া উপায়তো নাই। অগত্যা মানি ল'লে আৰু সকলোৱে। মাত্ৰ ছাৰে এটা কথা ভাল ক'লে যে এচাইনমেন্টৰ টপিক সকলোৱে নিজৰ ইচ্ছা মতে ল'ব পাৰিব আৰু পেপাৰখনৰ লগত তাৰ কোনো সম্পৰ্ক নাথাকিলেও কথা নাই। সকলোৱে যেন অকণ স্বস্তিৰ নিশ্বাস এৰিছিল।

সময়ৰ লগে লগে টপিক চিলেক্ট হৈ গ'ল সকলোৰে। বেছি ভাগেই বুক ৰিভিউ লৈছে। অনুৰূপে বলিউদ মুভিছ লৈছে। আনহাতে সন্ধ্যাই লৈছিল এটা আন কমন টপিক।

"Evolution of Assamese Drama"

প্ৰথম ক্লাছত টপিকটো কওঁতে সকলোৱে সন্ধ্যালৈ ঘূৰি চাইছিল। হয়তো ইংৰাজী সাহিত্যৰ বিষয়ত অসমীয়া বিষয় এটা লোৱাত চব আচৰিত হৈছিল। বহুতেই ভাবিছিল ছাৰে সন্ধ্যাৰ ৰিপোৰ্ট কেঞ্চেল কৰিব। কাৰণ ইতিমধ্যে বহুতৰ টপিক কেঞ্চেল কৰিছে ছাৰে। কিন্তু সকলোকে আচৰিত কৰি ছাৰে ক'লে,

"This quite interesting. We should know our very own literature. Good Sandhya. Give your best."

সন্ধ্যাৰ চকু দুটা উজলি উঠিছিল।

লাহে লাহে সন্ধ্যাই এচাইনমেন্টৰ কাম আৰম্ভ কৰিলে। লাইব্ৰেৰীত অসমীয়া নাটকৰ বিষয়ে থকা কিতাপ বিচাৰি উলিয়াইছিল। উজাপালিৰ পৰা উল্লেখ কৰি শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাট, তাৰ পাছৰ পৌৰাণিক নাট, জ্যোতি প্ৰসাদৰ নাটৰ পৰা বৰ্তমান ভ্ৰাম্যমাণ নাটকলৈকে সকলো সামৰি খুব যত্নৰে বনাইছিল এচাইনমেন্টটো।

Kaushik

চাবিমিশ্যনলৈ আৰু বেছি দিন নাই। চাবমিটৰ ক্ষেত্ৰত বৰপাত্ৰ ছাৰ খুব কাঢ়া। সময় মতে নিদিলে তেখেতে এচাইনমেন্ট এচেপ্তেই নকৰে। অৱশ্যে সন্ধ্যাৰ চাবমিশ্যনৰ দুদিন আগতেই বনাই হৈ গ'ল।

সেইদিনা ৰাতি ৰুমত এনেই গান শুনি থাকোঁতে অভিমন্যুয়ে ফোন কৰিলে,

"ঐ, তোৰ এচাইনমেন্ট বনাই হ'লনে অ'?"

"হ'ল। কিয়?"

"তেন্তে তোৰ লেপটপটো ময়ূঁৰক দিব পাৰিবি? বেচেৰাৰ লেপটপ বেয়া। ইফালে মোৰ নিজৰো বি এডৰ কাম ধেৰ। অনুৰণৰো কৰি শেষ হোৱা নাই।"

"ঠিক আছে দে, কাইলৈ ক্লাছলৈ লৈ যাম। দি দিম ময়ূঁৰক।"

বিশেষ একো নাভাবি ময়ূঁৰক পিছদিনা ক্লাছতে লেপটপটো দি দিলে সন্ধ্যাই।

"চাবা খালি দেই, মোৰ এচাইনমেন্টটো ইয়াতে চেভ হৈ আছে।"

"অকে। থেংক ইউ সন্ধ্যা।" বুলি ময়ূঁৰে লেপটপটো লৈছিল।

কাইলৈ এচাইনমেন্ট চাবমিশ্যনৰ দিন। আজি ৰাতিকৈ সন্ধ্যাক লেপটপটো দি ময়ূঁৰে ক'লে,

"থেংকচ এ লট। বহুত হেল্প কৰিলা তুমি। এণ্ড ছৰী, মোৰ দেৰি হ'ল দিয়া।"

"ইচ, হ'ব আৰু।" বুলি সন্ধ্যা ৰুমলৈ আহিল। ৰাতি প্ৰিয়াৰ লগত আড্ডা মাৰি আহি এবাৰ এচাইনমেন্টটো উলিয়াই শেষ বাৰলৈ চালে তাই। যি যি সৰু সুৰা কিবা ভুল আছে সকলো ঠিক কৰি ল'ব। কাইলৈ পুৱা সোনকালে মহামায়াতে প্ৰিন্ট আউট কৰাই ল'ব পৰা যাব। ছাৰৰ ক্লাছ আকৌ ৰাতিপুৱা নটাতেই। প্ৰায় সকলোৱে প্ৰিন্ট আউট কৰালেই। পিছে লেপটপ নাছিল বাবে সন্ধ্যাইহে কৰোঁৱা নাই। একো নাই বাৰু, মহামায়া ৰাতিপুৱা আঠটাতে খোলে। তেতিয়াই কৰাই ল'ব।

কিন্তু লেপটপটো খুলিয়ে বুকুখন কঁপি উঠিল সন্ধ্যাৰ। কাৰণ তাই চেভ কৰি থোৱা এচাইনমেন্টৰ ফাইলটো নাই। এটা এটাকৈ ফলডাৰ খুলি গোটেই লেপটপটো খুচৰিলে সন্ধ্যাই। কিন্তু নাই। তাই কষ্টেৰে বনোৱা পাঁচ হেজাৰ ৱৰ্ডছৰ এচাইনমেন্টটো গোটেই লেপটপটোত ক'তো নাই। বুকুখনত মোচৰ মাৰি ধৰিছিল তাইৰ। ভয় আৰু সংশয়ত চকু পানী বাগৰিছিল। বেৰৰ ঘড়ীটোত ৰাতি বাৰটা বাজিছিল তেতিয়া।

Kaushik

(আগলৈ)

#নিৰিবিলি

Part 99

পাটকাইত অভিমন্যুৰ ৰুমত বহি আছিল ময়ূঁৰ। ময়ূঁৰৰ এচাইনমেণ্টটো চাই আছিল সি তাৰ লেপটপতে। দুই এটা ভুল শুধৰাইও দিছিল। লগে লগে ময়ূঁৰক গালিও দি গৈছে,

"এইটো সৰু স্পেলিংবোৰ কিয় ভুল কৰ হা? দিব ৰ, চিনি পোৱা নাই বৰপাত্ৰ ছাৰক?"

এসময়ত অশান্তি লাগি ময়ূঁৰে ক'লে,

"হ'ব থ অ', কিমাননো একে সোপাকে চাই থাক?"

"কি থ হা? এই বাৰ পাচি ভুল লৈ এচাইনমেণ্ট চাবমিট কৰিলে নম্বৰ পাবিনে?"

অভিমন্যুৰ কথাত ময়ূঁৰে সৰু মাতেৰে ক'লে,

"অহা বছৰৰ পৰাতো এনেকৈয়ে দিব লাগিব।"

অভিমন্যুও ৰৈ গৈছিল। এৰা, সেই প্ৰথম ছেমিষ্টাৰৰ পৰাই সৰু নোট এটা লিখিলেও অভিমন্যুক নেদেখুওৱাকৈ চাবমিট নকৰে ময়ূঁৰে। সিও যিমান ব্যস্ত থাকিলেও তাৰ মাজতে ময়ূঁৰৰ কামবোৰ কৰিবলৈ কেতিয়াও নাপাহৰে। তেনেস্থলত সি যোৱাৰ ময়ূঁৰ কিমান অকলশৰীয়া হ'ব সেইটো ভাবিলে অভিমন্যুৰ নিজৰো মনটো সেমেকি আহে। কিন্তু তাৰ আগত আৱেগিক হৈ নেদেখুৱাই ক'লে,

"সেই কাৰণেইতো দেখুৱাই আছোঁ তোক। নিজে শিক এইবোৰ।"

কথাটো কৈ ময়ূঁৰৰ কাণৰ পৰা হেডফোন ডাল টানি আনিলে সি।

"অভি, কি নো মানে?" ময়ূঁৰে সৰু ল'ৰাৰ দৰে চিঞৰিলে। অভিমন্যুয়ে দবিয়াই উঠিল,

"এইডাল লৈ লৈয়ে কাণ গেলিব তোৰ। গ্ৰেড কমকচোন এইবাৰ, চাবি মই কি কৰোঁ।"

মুখখন ফুলাই ময়ূঁৰ বহি ৰৈছিল। চেলাউৰী থোঁপাই অভিমন্যু আকৌ লেপটপত লাগিল। এনেতে ৰুমৰ দুৱাৰখন ঠেলি সোমাই আহিছিল অনুৰণ। ময়ূঁৰক দেখিয়ে সি সুধিলে,

Kaushik

"কি হ'ল? মুখ ফুলি আছে চোন।"

ময়ূঁৰৰ হৈ উত্তৰটো অভিমন্যুয়েই দিলে,

"কথাই ক'ব নোৱাৰি এখেতক। মুখ চুখ ফুলাই একদম পানী কেঁচুৱা হৈ যায়। এচাইনমেন্ট কৰিছে এসোপা ভুল।"

ময়ূঁৰে শিতানৰ গাৰুটো অভিমন্যুৰ ফালে দলিয়াই দিলে।

"হাৰে হাৰে, কি কৰিছ লেপটপত পৰিব।"

সিহঁতৰ কাণ্ডত হাঁহি উঠিছিল অনুৰণৰ। সঁচাই, অভিমন্যু আৰু ময়ূঁৰক দেখিলে কোনেও ক'ব নোৱাৰে যে সিহঁত মাত্ৰ তিনি বছৰ আগতে লগ পোৱা বন্ধুহে। এনে লাগে যেন দুইটা একেলগে ডাঙৰ হোৱা একে মাকৰে সন্তান। ময়ূঁৰৰ বেমাৰত অভিমন্যুক যিদৰে গোটেই ৰাতি তাৰ বিচনাৰ কাষত পৰি থকা দেখিছে, ময়ূঁৰৰ এষাৰ কথায়েই অভিমন্যুৰ প্ৰচণ্ড খঙক শান্ত কৰি দিয়াও অনুৰণে দেখিছে। এৰা, মনৰ সম্পৰ্কবোৰ এনেকুৱাই।

ময়ূঁৰৰ ঠেহ ভাঙিবলৈ অনুৰণে বেলেগ কথা উলিয়ালে,

"তুমি প্ৰিন্ট আউট উলিওৱাই নাই নি?"

"নাই, লিখিয়ে নহ'ল নহয়। এতিয়া শেষ হয় মানে চব দোকানেই বন্ধ কৰিলে। মোৰ কাৰণে বেচেৰী সন্ধ্যাইও উলিয়াব নোৱাৰিলে। এতিয়াহে দি আহিছোঁ তাইক লেপটপ।"

ময়ূঁৰৰ কথাৰ লগে লগে মাটিত পৰা গাৰুটো বুটলি অভিমন্যুয়ে ক'লে,

"সন্ধ্যাই আকৌ ভাল তোক লেপটপটো দিলে বুলিহে। নহ'লে দিগদাৰেই আছিল।"

তেনেকুৱাতে ময়ূঁৰৰ ফোনটো বাজিল। ফোনটো হাতত লৈ ক'লে,

"সন্ধ্যাই কৰিছে।"

"লাউডত দে। কামোৰ দিওঁ তাইক অলপ।"

অভিমন্যুৰ কথাত ফোনটো ৰিচিভ কৰি লাউডত দিলে ময়ূঁৰে। কিন্তু সি কিবা কোৱাৰ আগতেই সিফালৰ পৰা সন্ধ্যাই কৈ উঠিল,

"মোৰ এচাইমেন্ট কি হ'ল ময়ূঁৰ?"

Kaushik

ময়ূঁৰ আৰু অভিমন্যুয়ে ইটোৱে সিটোৰ মুখলৈ চাইছিল। যেন একো বুজি পোৱা নাই সিহঁতে। সন্ধ্যাই এইবাৰ চিঞৰি ক'লে,

"কি কৰিলা মোৰ এচাইনমেন্টটো ময়ূঁৰ?"

"ম-- মই?" ময়ূঁৰৰ যেন মাতটো কঁপিছে। তাৰ হাতৰ পৰা ফোনটো লৈ এইবাৰ অভিমন্যুয়ে ক'লে,

"হৈছে কি তোৰ?"

এইবাৰ সন্ধ্যা ফেঁকুৰি উঠিল,

"মোৰ এচাইনমেন্টটো নাই অভি। সোধ না ময়ূঁৰক। কি কৰিলে সি?"

"পাগল হৈছ নি তই? ময়ূঁৰে কি কৰিব আকৌ তোৰ এচাইনমেন্টটো? ভালকৈ চাচোন লেপটপত। কিজানি ক'ৰবাত--"

অভিমন্যুৰ কৈ নহওঁতেই সন্ধ্যাই আকৌ ক'লে,

"চালোঁ অ'। গোটেই লেপটপ খুচৰি চালোঁ। ক'তো নাই। কাইলে কি হ'ব মোৰ কচোন। ছাৰেতো এদিন দেৰিকৈ দিলেও এচেপ্ট নকৰে।"

কথাখিনি কৈ কৈ কান্দি উঠিল সন্ধ্যাই। কি কৰোঁ কি নকৰোঁ হৈছিল অভিমন্যুহঁত। ময়ূঁৰ যেন চঁক খোৱাৰ দৰে হৈছে। হঠাৎ যে কি হ'ল এইবোৰ! অভিমন্যুয়ে আকৌ সন্ধ্যাক ক'লে,

"তই মূৰ্খ নি? ক'ৰবাত চেভ কৰিতো থ'ব পাৰ, মোবাইল নহ'লে পেন--"

অভিমন্যুক শেষ কৰিব নিদি সন্ধ্যাই খঙত চিঞৰি উঠিল,

"হোৱাট ডু ইউ মিন? মোৰ লগত বেয়া হৈছে আৰু তই মোকেই গালি দিছ যে? মই কেনেকে জানো যে ময়ূঁৰে মোৰ এচাইনমেন্ট ডিলিট কৰি দিব?"

ময়ূঁৰ আকৌ কঁপি উঠিল। বিচনাৰ এটা চুকলৈ গৈ কোঁচ মোঁচ খাই বহিলগৈ সি। সন্ধ্যাই বাউলীৰ দৰে চিঞৰি গৈছে,

"সিয়ে কৰিছে এইবোৰ। চব তাৰ কাৰণে হ'ল। জেলাছ সি মোক লৈ। ছাৰে মোৰতো ভাল হৈছে বুলি কোৱা কাৰণে--"

Kaushik

"ছাট আপ সন্ধ্যা ছাট আপ। একদম চুপ থাক। আৰু এটা ৱৰ্ড নক'বি।"

অভিমন্যু গৰজি উঠিল। ময়ূঁৰে কাণত হাত দি ভৰি কেইটা কোঁচাই মূৰটো আঠুৰ মাজত সোমোৱাই দিছিল। উশাহটো চুটি হৈ হৈ আহিছিল তাৰ। অনুৰণে তাৰ কাষলৈ উঠি গৈছিল যদি সি যেন আৰু আঁতৰি গৈছে।

"অভি, তই মোক এনেকৈ কৈছ? ময়ূঁৰ মোতকৈও--" সন্ধ্যাৰ কান্দোন বাঢ়ি আহিছিল।

ফোনটো কাটি দলিয়াই দিছিল অভিমন্যুয়ে।

"অ-- অভি, অভি মই একো কৰা নাই অ'। মই মই--"

কঁপা কঁপা মাতেৰে ময়ূঁৰে ক'লে। অভিমন্যুয়ে সাৱটি ধৰিছিল। ময়ূঁৰে উচুপি উঠিল। তাৰ মূৰত হাত ফুৰাই দিছিল অভিমন্যুয়ে। অনুৰণে পানীৰ বটলটো আনি খোৱাই দিছিল।

"একো চিন্তা নকৰ ময়ূঁৰ। মই জানোতো তই একো নাই কৰা। কোনেও একো নকৰে তোক।" অভিমন্যুৰ কথাত লাহে লাহে শান্ত হৈছিল গৈ ময়ূঁৰ। দীঘলকৈ উশাহ এটা লৈছিল।

"শুই যাচোন এতিয়া।" বুলি অভিমন্যুয়ে শোৱাই দিলে ময়ূঁৰক। অভিমন্যুৰ হাত এখন ধৰি ময়ূঁৰ অভিমন্যুৰ বিচনাতে শুই পৰিল। অনুৰণে চকুৰে যাওঁ বুলি ইংগিত দি যাবলৈ ওলাল। দুৱাৰ মুখ পাই এবাৰ অভিমন্যু সৰুকৈ সুধিলে,

"অভিমন্যু, সন্ধ্যাৰ টপিকটো কি আছিল?"

অভিমন্যুয়ে কোৱাত সি দুৱাৰখন জপাই ওলাই গ'ল। ময়ূঁৰ সেইদিনা অভিমন্যুৰ লগতেই শুলে।

"কি ক'লে ময়ূঁৰে? কিয় ডিলিট কৰিলে সি?"

সন্ধ্যাই ফোনটো থোৱাৰ পাছতে পৰীয়ে সুধিলে তাইক।

পৰী, প্ৰিয়া, জুৰি, প্ৰীতিষা আৰু মেঘালী অলপ আগতে সন্ধ্যাৰ ৰুমলৈ আহিছিল। আচলতে ভাত খাই সন্ধ্যা বাহিৰে প্ৰিয়াৰ ৰুমলৈ গ'ল। আচলতে আজি প্ৰিয়াৰ ৰুমমেট

Kaushik

ঘৰলৈ গ'ল। সেই কাৰণে জুৰিয়ে ক'লে তাইয়ে থাকি দিব প্ৰিয়াৰ লগত। জুৰি অহাৰ লগে লগে পৰীহঁতো কপিলীৰ পৰা আহিল। গোটেইকেইজনী গোট খাই ভাল আড্ডা এখন মাৰিলে। সিহঁতে ৰাতি কিবা চিনেমা চোৱাৰ প্লেনো কৰিছিল। সন্ধ্যাইহে মই পটককৈ আহি আছোঁ বুলি উঠি আহিল। ভাবিছিল শেষ বাৰলৈ এচাইনমেন্টটো চাই পেন ড্ৰাইভত ভৰাই থ'ব। কিন্তু হ'লগৈ এইবোৰ। সন্ধ্যা নোযোৱা দেখি প্ৰিয়াহঁতেই তাইৰ ৰুম পালেহি। কথাবোৰ শুনি পৰী জ্বলি উঠিছিল,

"এই কাৰণেই কাকো হেল্প কৰিব নালাগে। ইমান ফাল্টু নে?"

"কিন্তু ময়ূঁৰতো তেনেকুৱা ল'ৰা নহয়।"

প্ৰিয়াৰ কথাক অগ্ৰাহ্য কৰি পৰীয়ে ওলোটাই কৈছিল,

"মুখ দেখি কাকো ধৰিব নোৱাৰি আজিকালি পৃথিৱীত। সন্ধ্যা, ফোন কৰা তাক। ঠিকচে গালি দি সোধা কিয় ডিলিট কৰিলে সি?"

"পৰীয়ে ঠিকে কৈছে। ইহঁতক একো নক'লে চল পায়। ফোন কৰা সন্ধ্যা।" পৰীক সমৰ্থন কৰি প্ৰীতিষাইও কৈছিল।

লগে লগে সন্ধ্যাই ময়ূঁৰলৈ ফোন কৰিছিল যদিও একো উত্তৰ নাপালে। তাই কান্দোনত ভাঙি পৰিল।

"সন্ধ্যা, অলপ ধৈৰ্য ধৰাচোন।" মেঘালীয়ে বুজাইছিল।

"তোৰ এচাইনমেন্টটো ৰাফ কে ক'ৰবাত লিখা আছিল নেকি? আছে যদি দে, আমি কেইজনী লাগি বনাই দিওঁ।" জুৰিৰ কথাত মূৰ জোকাৰিছিল সন্ধ্যাই। নাই, তেনেকুৱা একো নাই তাইৰ হাতত।

"এটা কাম কৰোঁ, কাইলৈ আমি কোনেও চাবমিট নকৰোঁ দে। এজনীয়ে নকৰিলে হে ছাৰে গালি দিব। যদি চবেই নকৰোঁ---"

প্ৰিয়াৰ কৈ নহওঁতেই সন্ধ্যাই ক'লে,

"পাগল নেকি? নালাগে সেইবোৰ কৰিব। তহঁতে চাবমিট কৰ। মই ছাৰক কৈ চাম। যদি বুজি পাই পাব। নহ'লে উপায় নাই আৰু।"

অলপ সময় সন্ধ্যাক বুজাই প্ৰিয়াহঁত যাবলৈ ওলাল। জুৰিয়ে ক'লে,

Kaushik

"সন্ধ্যা, তই এতিয়া ইয়াত অকলে শুই কান্দি থাকিব নালাগে। প্ৰিয়াৰ ৰুমলৈকে ব'ল। বিচনা জইন কৰি তিনিওজনী শুই থাকিম।"

সন্ধ্যাই প্ৰথমে মানি লোৱা নাছিল যদিও প্ৰিয়াহঁতে জোৰ কৰাত তাই প্ৰিয়াৰ ৰুমলৈকে গ'ল।

"তুমি চাবা কৃষ্ণ" বুলি ঈশ্বৰৰ চৰণতে শেষত শৰণ লৈ সন্ধ্যা টোপনিত পৰিল।

আজি ক্লাছত চবৰে হাতে হাতে প্ৰিন্ট আউট। এচাইনমেন্ট চাবমিশ্যন। কোনোবাই কালাৰিং আনিছে, ক'ভাৰ পেজত ইউনিভাৰ্চিটীৰ ল'গ'টো লগাই দিছে। কোনোবাই আকৌ সাধাৰণভাৱে ব্লেক এণ্ড হোৱাইটেই আনিছে। তলমূৰ কৰি সন্ধ্যা আহি পিছফালৰ ছিটত বহিল গৈ। কোন আহিছে কোন গৈছে চোৱা নাই তাই। দীঘলকৈ উশাহ এটা লৈ তাই যেন সাজুহে হৈছিল। লগৰবোৰে ইজনে সিজনৰ এচাইনমেন্টবোৰ পঢ়ি চাইছিল। কোনোবাই নিজৰটোৰ লগত তুলনাও কৰিছে। সন্ধ্যা মাত্ৰ নিশ্চুপ।

তেনেকুৱাতে "গুড মৰ্ণিং ক্লাছ" বুলি বৰপাত্ৰ ছাৰ সোমাই আহিল। এইফালে সন্ধ্যাৰ যেন বুকু কঁপি উঠিছিল। ছাৰে ৰোলকল আৰম্ভ কৰিছে। প্ৰথমে মাষ্টাৰ্চখিনি মাতি লয়। তাৰ পাছতহে Integratedৰ খিনিক মাতে। আজি কোনো এবচেন্ট নাই। এচাইনমেন্ট চাবমিশ্যনত এবচেন্ট থাকি মৰিলেহে হ'ব। সন্ধ্যাইও উদাস মাতেৰে কৈছিল,

"Present sir"

ছাৰে মাতি গৈ থাকোঁতেই হঠাৎ ৰৈ গ'ল।

"Thirty? Roll number 30? Who is roll number 30?"

"ছাৰ, ময়ূঁৰ।"

"Why is he absent today? Doesn't he know today is the submission day?"

ছাৰৰ প্ৰশ্নৰ কোনেও উত্তৰ নিদিলে। সন্ধ্যাই তেতিয়াহে মূৰ তুলি চালে। ময়ূঁৰ সঁচাই নাই। তাৰমানে তাইৰ কালিৰ কথাৰ বাবেই সি! ছেহ্। সন্ধ্যাৰ তেতিয়াহে অনুতাপ হ'ল। তাই বাৰু পৰীহঁতৰ কথাত আহি ময়ূঁৰক জোখতকৈ বেছি বেয়াকৈ ক'লে নেকি? তাইৰ বাবে বাৰু আজি সি নহাকৈ থকা নাইতো?

"Ok, so please submit your assignments one by one."

Kaushik

ছাৰৰ কথাত সন্ধ্যাৰ মাতত যতি পৰিল। সকলোৱে এজন এজনকৈ ছাৰক এচাইনমেন্টবোৰ দি চাইন কৰি আহিছে। অনুৰণো উঠি গৈ দিলেগৈ। বাকী ৰ'ল মাত্ৰ সন্ধ্যা। সকলোৰে দি হোৱাত ছাৰে ক'লে,

"Sandhya, where is your assignment?"

সন্ধ্যা থিয় হ'ল। সকলোৰে দৃষ্টি তাইৰ ওপৰত নিবদ্ধ। ক্লাছৰুমটোত কাঁহ পৰি জীণ যোৱাৰ দৰে পৰিৱেশ।

"I am asking you something Sandhya, where is your assignment?"

ছাৰে এইবাৰ কিছু জোৰেৰে ক'লে। সন্ধ্যা তলমূৰ কৰি নিশ্চুপ হৈ ৰ'ল। চকুত ভিৰ কৰিছেহি পানীৰ টোপাল কেইটাই। এইবাৰ ছাৰ আগুৱাই আহিছিল তাইৰ ফালে। তেনেকুৱাতে হঠাৎ দুৱাৰত কোনোবাই টুকুৰিয়ালে,

"Sir, may I come in?"

ছাৰৰ লগতে সকলোৱে সেইফালে চাই দেখিলে হাতত প্ৰিন্ট আউট দুটা লৈ ময়ূঁৰ ৰৈ আছে।

"Yes, come" বুলি ছাৰে কোৱাত ময়ূঁৰ সোমাই আহি ক'লে,

"Sir, actually Sandhya gave me her assignment to print out with my one. So I am getting late. Sorry sir."

এইবাৰ সন্ধ্যাৰ আচৰিত হোৱাৰ পাল। আচম্বিত দৃষ্টিৰে ময়ূঁৰলৈ চালে তাই। তাইৰ ডিলিট হোৱা এচাইনমেন্টটো ময়ূঁৰৰ হাতত কেনেকৈ!

"Ok ok, its alright. Sandhya, you should have inform me girl. Please sit down."

এনেতে ধমহকৈ শব্দ এটা হ'ল ক্লাছটোত। যেন কোনোবাই খঙেৰে কিবা দলিয়াই দিছে।

"What happend?" শব্দটো অহা ফালে চাই ছাৰে সুধিলে।

"Sir, my water bottle" বুলি মাটিত পৰি থকা পানীৰ বটলটো বুটলি লৈছিল জুৰিয়ে।

ছাৰে ময়ূঁৰৰ পৰা প্ৰিন্ট আউট দুটা লৈ আকৌ চকীত বহিলগৈ। ক্লাছটো আৰম্ভ হ'ল। ক্লাছৰ মাজতে সন্ধ্যাৰ মোবাইলত মেচেজ আহিলত তাই চাই দেখে ময়ূঁৰে তাইক কিবা পিডিএফ এটা মেইল কৰিছে। লগত লিখি দিছে,

"Presentation r babe olop pohi loba eitu."

Kaushik

সন্ধ্যাৰ ধৈৰ্য নাছিল। ছাৰৰ পৰা আঁৰ হৈ তাই ক্লাছতে মোবাইলটো ওপৰলৈ আনি পিডিএফটো খুলিলে। খুলিয়ে আৰু বেছি আচৰিত হ'ল। কাৰণ সেইটো তাই বনোৱা এচাইনমেন্ট নহয়েই। যদিও মূল বিষয় বস্তু একেই, Assamese Drama তথাপি তাই লিখাটো এইটো নহয়। বৰঞ্চ তাই লিখাটোতকৈও বেছি ভাল আৰু ইনফৰমেটিভহে হৈছে এইটো। ৱৰ্ড লিমিটো হৈছে পাঁচ হেজাৰ। তাৰমানে ময়ূঁৰে এই এৰাতিৰ ভিতৰতে তাইৰ এচাইনমেন্টটো লিখি উলিয়ালে। যিটো লিখোঁতে তাইৰ এক সপ্তাহতকৈও বেছি দিন লাগিছিল। সন্ধ্যাৰ এতিয়া আৰু বেয়া লাগিল। খঙো উঠিল নিজলৈকে। ধেৎ, কেনেকৈ ময়ূঁৰৰ নিচিনা এটা ল'ৰাক সন্দেহ কৰিব পাৰিলে তাই? কোনোবাই ক'লে বুলিয়ে তাই মানি ল'লে নে যে ময়ূঁৰে এনেকুৱা এটা কাম কৰিব পাৰিব? ছিঃ। তাক কেনেকৈ মুখ দেখুৱাব বাৰু এতিয়া? সঁচাই, আনৰ কথাত চলা মানুহে সদায় অনুতাপেই ভুগিব লাগে।

ফাৰ্ষ্ট ক্লাছটোৰ পাছত সদায় এটা বিছ মিনিটৰ ব্ৰেক হয়। আগতে সকলোৱে কেন্টিনৰ টেবুলত গৈ আড্ডা মাৰে। পিছে এতিয়া সেই সুবিধা নাই। তাৰ সলনি ফাৰ্ষ্ট ফ্ল'ৰত এডুকেশ্যন ডিপাৰ্টমেন্টৰ কাষতে অলপ বহল জেগাতে কেন্টিনখন পাতিছে। তাৰ সমুখতে থকা চিৰিটো আহি তলত সমুখৰ বহল ৰুমটো ওলাইছেহি। ঠাইখিনি একেবাৰে বেয়াও নহয় বাৰু। এডুকেশ্যন, ছচিয়লজী আৰু কালচাৰেলৰ মাজত। লগতে লাগি আছে বেলকণি এটাও। বহুতে কেন্টিনত কফি কাপ লৈ বেলকণিত ৰ'দ লৈ লৈ কফি কাপ খায়। এৰা, পৰিস্থিতি যিয়ে নহওঁক মানুহে সদায় বিকল্প বিচাৰি লয়েই।

আন দিনাৰ দৰে আজিও ক্লাছৰ ব্ৰেকত সন্ধ্যাও উঠি যাবলৈ লৈছিল। তেনেতে জুৰি, পৰী আৰু প্ৰিয়া তাইৰ ওচৰ পালেহি। প্ৰথমে জুৰিয়েই ক'লে,

"বাপ ৰে সন্ধ্যা। তই বলিউদত যা বুইছ। ভাল চাঞ্চ পাবি।"

সন্ধ্যাই একো বুজি নাপাই সুধিলে,

"মানে?"

"মানে আৰু কি, কালি ৰাতিৰ নাটকখনৰ কথা কৈছোঁ।" পৰীৰ কথাত আচৰিত হৈছিল সন্ধ্যা। তাৰমানে? ইহঁতে ভাবিছে যে তাই নাটক কৰিছিল! সন্ধ্যাই থিয় হৈ ক'লে,

Kaushik

"কিবা হৈছে নেকি তইঁতৰ? সঁচাকৈ মোৰ এচাইনমেণ্ট ডিলিট--"

তাইক ক'ব নিদি প্ৰিয়াই ক'লে,

"তেন্তে ময়ূঁৰ কি লাচিত বৰফুকন নেকি? একে ৰাতিতে গড় মানে এচাইনমেণ্ট বনাই দিব? তাকো ফাইভ থাওজেণ্ডৰ?"

"বিশ্বাস কৰ প্ৰিয়া, মই সঁচাকৈ--"

আকৌ সন্ধ্যাৰ কথা শেষ নহওঁতেই জুৰিয়ে ক'লে,

"একো নাই দে। এটেনচন ছিকাৰ থাকে বহুত মানুহ।"

কথাটো কৈয়ে ৰুমটোৰ পৰা ওলাই আঁতৰি গ'ল সিহঁত। সন্ধ্যাই চাই ৰৈছিল সিহঁতলৈ। তাইক এনেকুৱা বুলিও ভাবিব পাৰেনে সিহঁতে? এইজনী প্ৰিয়াকে বেমাৰত তাই অকলে গৈও ঔষধ আনি দিয়া নাছিল নে? জ্বৰত গোটেই ৰাতি কপালত পানীৰ লেপ দিয়া নাছিল নে? আজি তাইও এনেকৈ ক'ব পাৰিলে সন্ধ্যাক। এৰা, বৰষুণ শেষ হ'লেতো ছাতিটোও বোজায়েই হৈ পৰে।

Kaushik

হুঁমুনিয়াহ পেলাই সন্ধ্যা বেঞ্চতে বহি ৰৈছিল। ক্লাছৰ বেছি ভাগেই বাহিৰলৈ গ'ল। কোনোবাই কেণ্টিনত কফিৰ সোৱাদ ল'বগৈ, কোনোবাই একেবাৰে তললৈ গৈ এপাক ঘূৰি আহিব। নহ'লে কোনোবা বাথৰুম। মুঠতে যিয়ে কাৰণ নহওঁক, ব্ৰেকটোত এপাক ওলাই যোৱাটো যেন অলিখিত নিয়ম।

"সন্ধ্যা"

অনুৰণৰ মাতত মূৰ তুলিলে তাই। চকু কেইটা ৰঙা পৰি থকা দেখি অনুৰণে সুধিলে,

"মন বেয়া?"

সন্ধ্যাই একো নোকোৱা দেখি অনুৰণে তাইৰ থুঁতৰিত ধৰি মুখখন সামান্য দাঙি লৈ সুধিলে,

"কি হৈছে মাইনা?"

সন্ধ্যা এইবাৰ উচুপি উঠিল,

"প্ৰিয়াহঁতৰ মতে মই হেনো কালি নাটকহে কৰিছিলোঁ। তুমিয়ে কোৱা ৰণ, কিয় কৰিম মই তেনেকুৱা? সঁচাই এচাইনমেণ্টটো ডিলিট হ'ল মোৰ। নাজানোঁ ময়ূঁৰে কেনেকৈ বনালে এৰাতিত। আৰু মই বনোৱাটো এইটো নহয়েই। কিন্তু প্ৰিয়াহঁতে মোক এনেকৈ---"

সন্ধ্যাৰ বৈ অহা চকু পানীৰ টোপালটো বাগৰি পৰাৰ আগতেই অনুৰণে মচি দিছিল। তাৰ সেই যাদুকৰী পৰশটোত আকৌ চকু মুদি দিছিল সন্ধ্যাই। সমস্ত দুখ যেন ইয়াতে শেষ হয়। সকলো অভিযোগৰ যেন ইয়ে শেষ ঠিকনা। অনুৰণে লাহে লাহে কৈছিল,

"আৰু ইহঁতৰ কথা শুনিয়ে তুমি কালি ময়ূঁৰক তেনেকৈ কৈছিলা।"

সন্ধ্যাই আচৰিত হৈ অনুৰণলৈ চালে,

"তুমি কেনেকৈ জানিলা?"

"তোমাক জানোতো মই। কাৰোবাৰ কথাৰে আঘাত কৰা ছোৱালী তুমি নহয়।"

অনুৰণৰ কথাত নিজৰ ওচৰতে লাজ লাগিল সন্ধ্যাৰ। সঁচাই বৰ বেয়া কাম এটা কৰিলে তাই। অনুৰণে আকৌ ক'লে,

"কিন্তু সন্ধ্যা, আনৰ কথা বেছি শুনা মানুহে নিজৰ অস্তিত্ব হেৰুৱাই পেলায়। আৰু অস্তিত্ব নোহোৱা মানুহৰ জীৱনটো নৰক হৈ পৰে। এবাৰ নিজকে সোধাচোন, ময়ূঁৰে তোমাৰ লগত এইটো কাম কৰিবনে?"

"নকৰে। কেতিয়াও নকৰে। কিন্তু মই, মই খঙত তাক কি কি যে ক'লো।" সন্ধ্যা অনুতাপত দগ্ধ।

"খঙত মানুহে প্ৰথমে নিজকে জ্বলাই সন্ধ্যা, তাৰ পাছতহে সমুখৰ জনক। ময়ূঁৰ চাগে কেন্টিনতে আছে। যোৱা তাক লগ কৰা।" অনুৰণে কৈছিল।

সন্ধ্যাই মূৰ দুপিয়ালে। লগে লগে উঠি গ'ল তাই কেন্টিনৰ ফালে।

কেন্টিনখন সৰু বাবে মানুহে ঠাহ খাই থাকে। এফালে কফি, চাহ আৰু মিঠাই পেটিছ। আনফালে জেৰক্স। মাজেদি গ'লেই পাইগৈ বেলকণিটো। দুই এজন প্ৰফেচাৰো আহে ইয়ালৈকে। বেছি ভাগেই থিয় হৈয়ে চাহ কফি খাই। কোনোবা কোনোবা পিছে সমুখৰ

Kaushik

চিৰিটোত বহি লয়। চকী আৰু টেবুলকেইখনৰ অভাৱ এই চিৰিটোৱেও কিছু সংখ্যক ভাৱে পূৰ কৰিছে।

সন্ধ্যা গৈ চাৰিওফালে বিচাৰি চালে। ময়ূঁৰ নাই। দুই এজন চিনাকিক সুধিও চালে। দেখা নাই বুলি ক'লে। এনেতে সন্ধ্যাই দেখিলে বেলকণিত থিয় হৈ কাৰোবাৰ সৈতে কথা পাতি পাতি কফি খাই আছে অভিমন্যুয়ে। সন্ধ্যা গৈ সেইখিনি পোৱাত সমুখৰ ল'ৰাজন আঁতৰি গ'ল। অভিমন্যুয়ে সন্ধ্যাৰ ফালে নোচোৱাকৈয়ে ক'লে,

"ক, কি হ'ল?"

সন্ধ্যাই সৰু মাতেৰে ক'লে,

"ছৰী"

"চুপ থাক। এতিয়া ছৰী। খং উঠিলে হ'লে কথা এটা শুনাৰো ধৈৰ্য নাই।"

"ছৰী অভি। মই সঁচাকে অলপ পাগল অ'। প্লিজ বেয়া নাপাবি।"

অভিমন্যুয়ে এইবাৰ সন্ধ্যাৰ ফালে চাই ক'লে,

"সন্ধ্যা, মোৰ বাবে তই আৰু ময়ূঁৰ দুইটা ইউনিভাৰ্চিটীয়ে দিয়া দুটা গিফ্ট। জান দি দিব পাৰিম তহঁতৰ কাৰণে। কিন্তু এনেকৈ তুলনা কৰি কেতিয়াও মোক কষ্ট নিদিবি। ফ্ৰেণ্ডশ্বিপত কেতিয়াও তুলনা নাথাকে।"

"বুজিছোঁ। আৰু কেতিয়াও নকৰোঁ এনেকুৱা। জাষ্ট এবাৰ মোক মাফ কৰি দে।"

সন্ধ্যাই কাণত ধৰি ক'লে। অভিমন্যুয়ে হাঁহি লৈ ক'লে,

"হ'ব দে। মোক কোৱাতকে ময়ূঁৰক ক গৈ। জাননে কালি কি অৱস্থা হৈছিল তাৰ!"

"তাকেইতো বিচাৰি আহিছোঁ। ক'ত আছে সি?"

"তললৈ যা। পুখুৰীৰ পাৰৰ পুলটোতে পাবি চাগে।"

অভিমন্যুৰ কথাত তললৈ নামি আহিল সন্ধ্যা। সিহঁতৰ বিল্ডিংটোৰ সমুখতে ৰাস্তাটোৰ সিটো পাৰে সৰু পুখুৰীটো। তাৰ কাষে কাষে ওখ ওখ গছবোৰ। সেই গছ কেইজোপাৰ মাজতে পুলটো। তাত বহি ল'লে একেবাৰে বিল্ডিংটো সমুখলৈকে দেখা পায়। ৰ'দে আৱৰা ৰাস্তাটোৰ সিপাৰৰ পুলটোক গছ কেই জোপাৰ ছাঁয়ে সাৱটি থাকে বাবে ক্লাছৰ ফাঁকে ফাঁকে কোনোবা কোনোবা তাতো গৈ বহেগৈ। ময়ূঁৰ বেছিভাগ ইয়ালৈকে আহে।

Kaushik

সন্ধ্যাই বিল্ডিংটোৰ মূল দুৱাৰৰ পৰাই দেখিছিল, পুলটোত বহি পুখুৰীটোলৈ চাই আছে ময়ূঁৰে। তাইও ওচৰ চাপি বহিল। অলপ অলপ কৈ বতাহ বলি আছে। ডিপাৰ্টমেন্টৰ ভিতৰৰ হুলস্থূলবোৰৰ কোলাহল ৰিণি ৰিণিকৈ ইয়ালৈও আহিছে। সন্ধ্যাই মাতিলে,

"ময়ূঁৰ"

"অঁ, সন্ধ্যা। কোৱা।"

"মোক চাগে খুব বেয়া পাইছা ন?"

"নাই ধেৎ। তুমিহে মোক বেয়া পাইছা।"

বুকুখনত কিবা এটাই যেন খুন্দা মাৰি ধৰিছিল সন্ধ্যাৰ। এই নিৰ্জু ল'ৰাটোৰ প্ৰতি তাই ইমান কঠুৱা কিদৰে হ'ব পাৰিলে! ময়ূঁৰৰ কান্ধত হাত থৈ তাই ক'লে,

"আই এম ছৰী। মই আৰু কেতিয়াও এনেকৈ নকওঁ।"

"একো নাই। খং উঠিলে চবেই তেনেকৈ কয়। খং কমিলে ভাল হৈ যায়।"

ময়ূঁৰে কি কথা উনুকিয়াইছে বুজিবলৈ বাকী নাছিল সন্ধ্যাৰ। তাইৰ ব্যৱহাৰে যে ময়ূঁৰৰ পুৰণি কথাবোৰ মনত পেলাই দিলে সেইটো সন্ধ্যাইও বুজি পালে। তাই ক'লে,

"মোক প্লিজ বেয়া পাই নাথাকিবা।"

"আইচ ক্ৰীম খোৱাবা? অভিয়ে গম নোপোৱাকে? সিদিনা জ্বৰ হৈছিল কাৰণে সি খাব নিদিয়া হ'ল মোক।"

ময়ূঁৰৰ সৰলতাত খিলখিলাই হাঁহি উঠিছিল সন্ধ্যাই,

"ধেৎ, এইটো। খোৱাম দিয়া। খালী তুমিও তাক নক'বা।"

"নকওঁ, নহ'লে দুইটাই গালি খাম।"

ময়ূঁৰে ক'লে। লগে লগে শব্দ কৰি হাঁহি উঠিছিল সন্ধ্যা আৰু ময়ূঁৰ দুইটাই।

ক্লাছৰ সময় হৈছিল যদিও বেছিভাগ ষ্টুডেন্ট বাহিৰতে আছে। ৰুমত যি দুই এটা আছে চব মোবাইলতে ব্যস্ত। কেনিও কাৰো মাত নাই। তাৰ মাজতে হাতত কিতাপদুখন লৈ একেবাৰে সমুখৰ বেঞ্চৰ ফালে গৈ আছে অনুৰণ। কিছু পুৰণি অসমীয়া কিতাপ।

Kaushik

চিত্তৰঞ্জন নাথৰ "নাট্যতত্ব আৰু পৰিক্ৰমা" আৰু সত্যেন্দ্ৰ নাথ শৰ্মাৰ "অসমীয়া নাট্য সাহিত্য"।

সমুখৰ বেঞ্চত বহি আছে ছোৱালী এজনী। মেলি থোৱা চুলিকেইডালত কাষৰ খিৰিকীৰ বতাহজাকে কোবাইছেহি। মুখখন পোহৰাই আছিল নিলাজ ৰ'দজাকে। অনুৰণ গৈ তাইৰ ফালে কিতাপ দুখন আগবঢ়াই দি ক'লে,

"এই দুখনে বহুত হেল্প কৰিলে। থেংক ইউ অনুৰাধা।"

অনুৰণৰ পৰা কিতাপ দুখন হাত পাতি লৈ হাঁহি মুখেৰে অনুৰাধাই কৈছিল,

"ইউ আৰ অলৱেইজ ৱেলকাম।"

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 100

"মই ভবাই নাছিলোঁ, তুমি যে সঁচাকৈ এৰাতিতে ফাইভ থাওজেণ্ডৰ এচাইনমেন্টটো বনাই দিব পাৰিবা।"

অনুৰাধাই অনুৰণলৈ চাই কৈছিল। অনুৰণে সামান্য হাঁহিছিল। কিদৰে বুজাব অনুৰাধাক সি, ভালপোৱাত যে পৃথিৱীৰ সকলো শক্তি থূপ খাই আছে।

"ঠিকে আছিল নে?" অনুৰণে সুধিলে।

"বহুত ধুনীয়া হৈছে। মই চাইছোঁ তুমি পঠোৱা পিডিএফটো।"

অনুৰাধাৰ কথাটোৰ লগে লগে জুৰিহঁত সোমাই আহিছিল। অনুৰাধাই বেগটোৰে কিতাপকেইখন ঢাকি দিলে। আহিয়ে জুৰিয়ে আৰম্ভ কৰিলে,

"ৱাহ ৱাহ, কি দেখিলো এয়া? অনুৰণে ছোৱালীৰ লগত কথা পাতিছে? ঐ, ঐ ক'ত গ'লি আমাৰ Integratedৰ কেইটা? চাহি আকৌ।"

লগে লগে সিফালৰ পৰা ৰাজদ্বীপে চিঞৰিলে,

"কিবা কিবি হৈছে নি বাৰু?"

অনুৰণে একো প্ৰতিক্ৰিয়া নিদি উভতি যাবলৈ লওঁতেই সীমাই আগভেটি ধৰিলে,

"ৰ ৰ। ইমান কিহৰ লাজ হা?"

এনেতে সন্ধ্যা আৰু ময়ূঁৰ সোমাই আহিল। জুৰিয়ে এইবাৰ সন্ধ্যালৈ চিঞৰিলে,

"সন্ধ্যা, এইফালে চা। ইমান দিনে হ'লে আমাক টু শব্দ এটাও কৈ নাপালে অনুৰণ ডাঙৰীয়াই। আৰু এতিয়া অনুৰাধাৰ লগত কি লেকচাৰ।"

সন্ধ্যাই খিলখিলাই হাঁহি উঠিল,

"এইয়াহে মৰম। নে কি?"

"ঠিক কৈছ, নামো মিলিছে। অনুৰণ, অনুৰাধা।"

এইবাৰ প্ৰিয়াই ক'লে। অনুৰণৰ মুখখন চাই সন্ধ্যাৰ আৰু হাঁহি উঠিল। তাৰ বগা মুখখনত যেন কোনোবাই এসোপা ৰঙা ফাঁকুহে সানিছে। লাজত বেচেৰাই মূৰ ওপৰেই কৰা নাই। সন্ধ্যাই আৰু অকণ জোকাওঁ বুলি জুৰিৰ কাষলৈ গৈ তাইৰ কান্ধতে ভেঁজা দি অনুৰণলৈ চাই ক'লে,

"হয় দেই। লোকে নাম চাই চাই হে প্ৰেম কৰে। এনেকে হ'লে মই দুপৰীয়া নহ'লে গধূলা নামৰ কাৰোবাক বিচাৰিব লাগিব।"

সন্ধ্যাৰ কথাত গোটেই ক্লাছটোৱেই জাউৰি মাৰি হাঁহি উঠিল। এইফালে বেচেৰা অনুৰণৰ লাজত অৱস্থা নাই। তেনেকুৱাতে ময়ূঁৰে চবেই শুনাকৈ কৈছিল,

"অনুৰণ, তোমাক অভিয়ে বিচাৰি আছিল। সি কেন্টিনতে আছে।"

সুযোগ পাই অনুৰণে "অঁ অঁ গৈছোঁ ৰ'বা" বুলি ওলাই গ'ল। দুৱাৰৰ কাষতে থকা সন্ধ্যাৰ ওচৰ পাই ফুচফুচাই কৈ গ'ল,

"উৎপাত বেছি হৈছে অলপ ছোৱালী।"

সি যোৱাৰ ফালে চাই খিলখিলাই উঠিছিল সন্ধ্যাই।

"বেচেৰাটো, ইহঁত দুটাৰ কিবা এটা হ'লে বেয়া নহয় আকৌ।"

kaushik

হঠাৎ প্ৰিয়াৰ কথাটো শুনি মুখৰ হাঁহিটো ৰৈ গ'ল সন্ধ্যাৰ। কথাটো ঠিক ধৰিব নোৱাৰি সন্ধ্যাই সুধিলে,

"ইহঁত দুটাৰ মানে?"

"অনুৰণ আৰু অনুৰাধাৰ।" জুৰিয়ে ক'লে।

"অঁ অঁ" বুলি শলাগি থ'লে সন্ধ্যাই। বিশেষ একো নক'লে। কাৰণ তাই জানে।তাই বুজে। নিজতকৈও বেছি বিশ্বাস আছিল অনুৰণৰ প্ৰতি থকা তাইৰ ভালপোৱাৰ ওপৰত।

"ঐ, তই আকৌ আমাক বেয়া চেয়া নেপাবি। গোটেই ৰাতিটো আমিও টেনশ্যনত কটালোঁতো। সেইকাৰণে খং উঠি গ'ল।"

জুৰিয়ে সন্ধ্যাক কৈছিল। লগে লগে প্ৰিয়াইও ক'লে,

"এৰা, য'ত ত'ত বস্তু থৈ পাহৰা স্বভাৱটো তোৰ নগ'ল আৰু।"

সন্ধ্যাই মাত্ৰ হাঁহি মাৰি থ'লে। তাৰমানে ইহঁতৰ এতিয়াও বিশ্বাস হোৱা নাই যে তাইৰ সঁচাকৈ হেৰাইছিল। বাৰু যি নহওঁক, সিহঁতে যে তাইক তেনেকৈ কোৱাৰ বাবে বেয়া নাপাবলৈ ক'লে সেয়াও বহুত। আচলতে সন্ধ্যাই কথাবোৰ ধৰি থাকিব নোৱাৰে। গতিকে তাইৰ লগত বেয়া হোৱাবোৰো নিজে নিজেই ভাল হৈ যায় সময়ৰ লগত।

"গুড নিউজ গাইজ। এইটো ক্লাছ নলয় মেমে।"

মনশ্ৰীয়ে সকলোৱে শুনাকৈ ক'লেহি।

"এই কি মজা।" গোটেইবোৰে গমগমাই উঠিল। দুই এটা আকৌ লগে লগে ওলাই গ'লেই। সন্ধ্যাই এবাৰ দুৱাৰমুখলৈ চালে, অনুৰণ আহিছে নেকি? নাই অহা চোন। তাৰ অৱস্থাটো দেখি যে ময়ূঁৰে ফাঁকি দি মাতি নিছে সেইটো সন্ধ্যাই নুবুজাকৈ থকা নাই। ইমান যে লাজ অ' ল'ৰাটোৰ। আজিকালি ক্লাছৰ মাজে মাজে লুকাই চুৰকৈ অনুৰণলৈ চাই থকাটো যেন সন্ধ্যাৰ অভ্যাসৰ দৰেই। কিয় জানো, তাৰ মুখখন দেখিলে যে এনেই মনটো ভাল লাগে তাইৰ। নালাগে, সি লাগিলে কথাও পাতিব নালাগে তাইৰ লগত। তথাপি মৌন ভাষাতেই যেন ভালপোৱাৰ সুৰবোৰ বিচাৰি পাই সন্ধ্যাই। হয়তো এইয়াই প্ৰেম, য'ত বিনিময় কৰা নাযায়। বিলীনহে হোৱা যায়।

"সন্ধ্যা, কেন্টিনৰ পৰা আহোঁ যাবা নেকি?"

Kaushik

কোন সময়ত অনুৰাধা আহি ওচৰ পালেহি সন্ধ্যাই গমেই নাপালে। হাঁহি মাৰি থিয় হ'ল তাই,

"ব'লা।"

বেলকণিতে কফি দুকাপ লৈ ৰৈ আছিল অনুৰণ আৰু ময়ূঁৰ। কেন্টিনত মানুহ তেতিয়া নাই। ছেকেণ্ড ক্লাছ আৰম্ভ হৈছিল সকলোৰে। অনুৰণহঁতৰ এইটো ক্লাছ নহয় বাবে সিহঁতৰে দুই এটা আছিল বাহিৰত। মাজে মাজে কফিত চুমুক দি ময়ূঁৰে ক'লে,

"তাই মই কৰা বুলিয়ে ভাবি আছে।"

অনুৰণে উদাসী হাঁহিটোৰে কৈছিল,

"ভাবক দিয়া।"

"কিন্তু অনুৰণ, তুমি ইমান কষ্ট কৰি বনালা। তেন্তে তাইক নোকোৱা কিয়?" ময়ূঁৰে আকৌ কৈছিল। অনুৰণে কফিত শোহা এটা মাৰি ক'লে,

"তাইৰ কামটো হোৱাটোহে আচল কথা। কোনে কৰিছে সেইটো বাদ দিয়া। আৰু তোমাৰ ওপৰত খং উঠি আছিল বাবে তুমি কৰা বুলি জানিলে খঙো কমিব।"

"তুমি এনেকুৱা কিয় অনুৰণ?"

ময়ূঁৰৰ প্ৰশ্নত মাত্ৰ হাঁহি এটাৰে কফিত চুমুক দিছিল অনুৰণে। এনেতে অনুৰাধা আৰু সন্ধ্যা পালেহি। অনুৰাধাইও কফি ল'লে। একাপ সন্ধ্যাক দিলে। সিহঁত দুজনীও আহি বেলকণি পালেহি। অনুৰণহঁতে হাঁহিৰে মাত লগালে।

"ময়ূঁৰ, তুমি পিছে আমাৰ অনুৰাধাৰ চিনাকিয়ে হোৱা নাই। অনুৰাধা, এইয়া আমাৰ ময়ূঁৰ। আমাৰ ডিপাৰ্টমেন্টৰ কবিজন।"

সন্ধ্যাই কোৱাৰ লগে লগে অনুৰাধাই হাঁহিৰে হাত এখন আগবঢ়াই দিছিল ময়ূঁৰলৈ,

"হাই"

ময়ূঁৰেও এমোকোৰা হাঁহিৰে হেণ্ডচেকটো দিলে। সন্ধ্যাই আকৌ ক'লে,

"আমাৰ ময়ূঁৰে পিছে তোমাৰ পিছৰ নামটো খুব ভাল পাই বুইছা।"

Kaushik

"মানে?" অনুৰাধাই বুজি নাপাই সুধিলে। সন্ধ্যাই হাঁহি হাঁহি ক'লে,

"মানে ৰাধা আকৌ। ৰাধা আমাৰ ময়ূঁৰৰ খুব প্ৰিয়। সেইবাবে তোমাৰ নামৰ পিছৰখিনি বুলি কৈছোঁ।"

অনুৰাধাই হাঁহিছিল। ময়ূঁৰে শান্ত হৈ সন্ধ্যাক ক'লে,

"আৰু তুমি প্ৰথমকণ ভাল পোৱা ন? মানে অনু?"

বুকুখন ধপকৈ উঠিছিল সন্ধ্যাৰ। হয়তো অনুৰণৰো। চাওঁ বুলিও অনুৰণৰ ফালে চাব পৰা নাছিল তাই। ময়ূঁৰৰ কথাৰ অৰ্থ অনুৰাধাই বুজাৰ আগতেই বেলকণিটোলৈ অভিমন্যু সোমাই আহিল। আহোঁতে গান এটা গুণগুণাই আহিছে সি,

"যুগে যুগে প্ৰতি খোজে তোমাতেই মই হ'ম বিলীন,

এন্ধাৰৰে চুকে চুকে অশ্ৰু নিগৰা বীণ,

লা লা লাআআআ--

লা লা লা লা"

সন্ধ্যাৰ বুজিবলৈ বাকী নাছিল সি কি কাৰণে জুবিনৰ গানটো গাই আহিছে। এনে চেনিৰাম নহয় এইটো। তাই মুখৰ ভিতৰতে ভোৰভোৰালে,

"অসভ্য চব।"

অভিমন্যুয়ে যেন সিহঁতক দেখাই নাই, তেনেকুৱা এটা ভাবত সুধিলে,

"অহ, চব ইয়াতে আছে চোন। হেল্লো অনুৰাধা, ভালনে?"

"উম, ভালেই। তোমাৰ কোৱা।" হাঁহিমুখেৰে অনুৰাধাই ক'লে।

"মইও আছোঁ আৰু দিয়া।"

অভিমন্যুক সন্ধ্যাই সুধিলে,

"তই ক্লাছ নকৰি ইয়াত কি কৰি আছ?"

"ক্লাছ নাই। লাইব্ৰেৰীলৈ যাওঁ। উপন্যাস এখন আনিব লাগে।"

Kaushik

অভিমন্যুৰ কথাত চকু কঁপালত উঠিল ময়ূঁৰ আৰু সন্ধ্যাৰ। দুইটাই দুয়োটালে আচৰিত হৈ চাইছিল। ইমান দিনে উপন্যাস পঢ়াৰ কাৰণে "কামোৰ" বুলি সিহঁতক জোকাই থকা অভিমন্যুয়ে আজি লাইব্ৰেৰীৰ পৰা উপন্যাস আনি পঢ়িব! কম কথানে এইটো? সন্ধ্যাই ৰ'ব নোৱাৰি সুধিয়ে দিলে,

"কি উপন্যাস পঢ় অ' তই?"

অভিমন্যুয়ে যেন এই প্ৰশ্নটোলৈকে ৰৈ আছিল। মুখত তাৰ সেই জোৰকৈ অনা ছিৰিয়াছ ভাৱটো লৈ ক'লে,

"কাঞ্চন বৰুৱাৰ অনুৰাধাৰ দেশ।"

তাৰ উপন্যাসৰ জ্ঞান শুনি মুখ টিপি হাঁহিছিল সন্ধ্যাই। ময়ূঁৰে লগে লগে ক'লে,

"অভি অ', সেইখন ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে হে লিখা।"

অভিমন্যুয়ে থতমত খালেও মুখেৰে একো নেদেখুৱাই ওলোটাই ক'লে,

"অঁ অঁ। জানো দে। এই বহুত কিতাপ পঢ়ি থকা হয় যে। নামবোৰ খেলি মেলি হৈ যায়।"

সন্ধ্যাই কিবা এটা ক'বলৈ লওঁতেই কেন্টিনত থকা বাজনী বেলকণিলৈ সোমাই আহিল। তাই সন্ধ্যালৈ দহ টকা এটা আগবঢ়াই ক'লে,

"এইটো অথনি তুমি আইচক্ৰীম নিওঁতে দিবলৈ থাকি গৈছিল যে।"

অভিমন্যুয়ে লগে লগে চেলাউৰি থোঁপাই সন্ধ্যালৈ চাইছিল। সন্ধ্যাই কওঁ নকওঁকৈ ক'লে,

"আইচক্ৰীম? ক'ৰ আইচক্ৰীম?"

এইবাৰ বাজনীয়ে ময়ূঁৰৰ ফালে দেখুৱাই ক'লে,

"কেলে, অথনি এওঁ আৰু তুমি যে আইচক্ৰীম লৈছিলা। তেতিয়া থাকি গৈছিল পইছাটো?"

"তহঁতে আইচক্ৰীম খাইছিলি মানে?"

অভিমন্যুয়ে ধমকি মাৰি সুধিলে ময়ূঁৰ আৰু সন্ধ্যাক।

Kaushik

"ময়ূঁৰ, ব'লা যাওঁ" বুলি ঘপকৈ বাজনীৰ হাতৰ পৰা নোটটো লৈ বেলকণিটোৰ পৰা বাহিৰলৈ দৌৰ মাৰিলে সন্ধ্যাই। অভিমন্যুয়ে তলকিব নোৱাৰোতেই ময়ূঁৰো তাইৰ পিছে পিছে দৌৰ দিলে।

"তহঁত দুটাক আজি ৰচোন।" বুলি কৃত্ৰিম খং দেখুৱাই অভিমন্যুয়ে সিহঁতক খেদি গ'ল। এতিয়া হয় কোনোবাটো ক্লাছত সোমাই বেঞ্চৰ মাজে মাজে দৌৰিব, নহ'লে গোটেই বিল্ডিংটোত দৌৰিব। নাইবা বিল্ডিঙৰ পৰা বাহিৰলৈ ওলাই সমুখৰ সৰু গলীটোত দৌৰা দৌৰি কৰিব সিহঁত কেইটাই।

সিহঁতৰ মৰমলগা ধেমালিখিনি দেখি হাঁহি উঠিছিল অনুৰণ আৰু অনুৰাধা দুয়োটাই। সন্ধ্যা যোৱাৰ ফালে চাই হাঁহি থকা অনুৰণক অনুৰাধাই কৈছিল,

"সন্ধ্যা একেবাৰ সৰু ছোৱালীৰ দৰে ন?"

অনুৰণে নিজক কোৱাৰ দৰেই ক'লে,

"তাই তেনেকুৱাই। সেই কাৰণেই ভাল লাগে।"

তাৰ কথাষাৰত অনুৰাধাৰ মুখৰ হাঁহিটো যেন মাৰ যোৱা বেলিৰ দৰে লুকাইছিল। হাঁহিটো সামৰি অনুৰণলৈ আচৰিত হৈ চাইছিল তাই। অনুৰণৰ মুখত তেতিয়াও সন্ধ্যা নামৰ ভাললগা খিনিয়ে দি যোৱা কোমল হাঁহিটোৰ পৰশ লাগি আছিল।

Kaushik

সময়বোৰ আগবাঢ়িল তেনেকৈয়ে। সময় আৰু সলনি এই দুটা বস্তু যেন একেলগেই আগবাঢ়ে। সময়ে যিমান বাগৰ সলাই, সলনিবোৰো তেনেকৈয়ে হৈ যায়। আজিকালি সন্ধ্যাৰ লগত প্ৰিয়া নাইবা জুৰি পৰীক্ষাৰ আগত লাইব্ৰেৰীলৈ পঢ়িবলৈ নাযায়। জুৰিয়ে ৰুমমেট অনুৰাধাৰ লগত ৰুমতে পঢ়ে। দুইজনীয়ে মিলি পঢ়ে বাবে সিহঁতৰ তেনেকৈয়ে পঢ়া হয় বোলে।

আনহাতে প্ৰিয়াইও প্লাৱিতাৰ ৰুমতে পঢ়ে বেছি ভাগ। প্লাৱিতাও শিৱসাগৰৰ। একে ঠাইৰ ছোৱালী বাবেই হ'বলা, দুই এবাৰ একেলগে অহা যোৱা কৰি প্ৰিয়া আৰু প্লাৱিতা আজিকালি একেলগেই থাকে। সন্ধ্যাও মাজে মাজে প্লাৱিতাৰ ৰুমলৈ যায়। কিন্তু তাত প্ৰিয়াৰ দৰে বেছি সময় নাথাকে। নিজৰ অকলশৰীয়া ৰুমটোৰ মাজতে নিজক বান্ধি ৰখাৰ দৰে ৰাখে সন্ধ্যাই। মাজতে প্লাৱিতাই কৈছিল,

"সন্ধ্যাও আহিবা আকৌ। একেলগে পঢ়িম।"

সন্ধ্যাই ক'ব নাপাওঁতেই প্ৰিয়াই হাঁহি হাঁহি কৈছিল,

"তাইৰ পঢ়া লাইব্ৰেৰীতহে হয় আৰু, চোকা ছোৱালী।"

সন্ধ্যাই একো নামাতি হাঁহিছিল। কেতিয়াবা কাকো নাপালে মাকলৈকে ফোন কৰিব বহু সময়লৈ কথা পাতে। কেতিয়াবা অভিমন্যুৰ লগত। নিৰ্জনতা ভাল পাবলৈ লৈছিল লাহে লাহে সন্ধ্যাই। কিন্তু কেতিয়াবা নিৰ্জনতাও হ'ব পাৰে নিসংগতাৰ দুৱাৰমুখ। সেইবাবেই চাগে অনুৰাধা শৰ্মা পূজাৰী বাইদেৱে "নাহৰৰ নিৰিবিলি ছাঁ"ত লিখিছিল, "নিৰ্জনতাক মই ভাল পাওঁ আৰু নিসংগতাক ভয় কৰোঁ"।

ফাইনেল পৰীক্ষা আহি পাইছিলহি। চাৰিওফালে আগৰ দৰেই পঢ়াৰ ঢৌ। সেই কেইদিন সন্ধ্যা অভিমন্যুৰ লগত লাইব্ৰেৰীলৈ গৈছিল। তাই নাযাওঁ কোৱা সত্বেও অভিমন্যুয়ে জোৰকৈ মাতি নিয়ে। অৱশ্যে সন্ধ্যাৰো লাইব্ৰেৰীতে পঢ়া হয়। ছিংগল ৰুমত পঢ়া হ'ব বুলি ভাবিছিল যদিও কিবা এশ এবুৰি ভাবহে আহে চোন ৰুমটোত সোমালে। যি কি নহওঁক। পৰীক্ষা তেনেকৈয়ে পাৰ হ'ল।

Kaushik

শেষৰ পৰীক্ষাটোৰ আগদিনা কথাবোৰ সকলোৰে মুখে মুখে চলি আছে,

"অসম বন্ধ হেনো"

"কেতিয়া?"

"গম নাপাওঁ, এই কেইদিনতে হ'বলা"

"কোনে দিছে?"

"নাজানো ইমান, কিবা চৰকাৰে আনা বিল এখন লৈ হাল্লা"

"কি বিল বা?"

"নেজানো ইমান। সেই কিবা বাংলাদেশীৰ ইচ্ছ্যু"

"ঔ, সেই একেখন কেছেট"

এৰা, একেখনেই কেছেট। একেখন কেছেট বজাই বজায়েই প্ৰতিবাৰে অসমীয়াৰ তুঁহ জুই হেন আৱেগৰ লগত খেলি কতজনে যে গাদী লৈ ৰাজপাট খালে ঠিক নাই। সেই গতিকে এই লৈ কাৰো একো আশাও নাই এতিয়া। ৰাইজৰ চৰকাৰখনো চোন কিবা উৎসৱ পাৰ্বণতে লাগি থাকে। মাজতে সেই "নমামি" বুলিয়ে গোটেই অসমখনত কমখন তোলপাৰ নে? ব্ৰহ্মপুত্ৰক পূজায়ে কৰিলে নে অত্যাচাৰেই কৰিলে কোনেও নাজানে আৰু। অৱশ্যে সন্ধ্যাহঁতো এটাইজাক গৈছিল গণেশঘাটত পতা নমামি চাবলৈ। প্ৰশংসাও কৰিছিল,

"হয় দে, চৰকাৰখনে কিবা এটাতো ভাবিহে এইবোৰ কৰিছে।"

এতিয়ানো আকৌ কি বিলখন আহিল। যি আহে আহক। সেইবোৰ লৈ আমাৰ মূৰ ঘমোৱাৰ দৰকাৰ নাই। কিন্তু দৰকাৰ আছিল বন্ধটোক লৈ মূৰ ঘমোৱাটোহে। সঁচাই যদি বন্ধ হয়, দূৰৰ কেইটা পৰীক্ষা দি যাবই নোৱাৰিব চোন। নাই, পাৰিব। আগদিনাই টিকেট কাটি আহিলেই হ'ল। নহ'লে পাছত টিকেট কাটিবলৈ সমস্যা হ'ব। কোনোবাই সমাধান উলিয়ালে। ঠিক হ'ল। দূৰৰ বোৰে গৈ টিকেট কাটি আহিব তেজপুৰ ASTC ত।

আজি পৰীক্ষা শেষ। দি উঠিয়েই চিধা হোষ্টেললৈ আহিছিল সন্ধ্যা। আজি মূঠতে বেলেগ কথা নাই, পূৰা টোপনি মাৰিব তাই। অৱশ্যে অকল তাই বুলিয়ে নহয়। এক সপ্তাহ ধৰি ষাঠি নম্বৰৰ ফাইনেল পৰীক্ষায়ে যি জুৰুলা কৰে, প্ৰতিজন শিক্ষাৰ্থী ৰৈ থাকে শেষ দিনটোৰ বাবে।

দুপৰীয়া ভাত কেইটা খাইয়ে যি বিচনাত পৰিল, একেবাৰে এন্ধাৰ হোৱাতহে সাৰ পালে তাই। পোহৰতে শুই এন্ধাৰত উঠিলে বৰ কিবা ডিপ্ৰেছড লাগে। সেই সময়ত অলপ ওলাই নগ'লে ৰুমত থাকিবলৈ আৰু বেছি অসহ্য হয়। সাৰ পাইয়ে সন্ধ্যাই মোবাইলটো চালে। অনুৰণৰ দুটা মিচকল। আবেলি চাৰিটা মানত। কিয় বা? কি হ'ল? হোৱাটচ এপটো খুলি চালে। একো মেচেজ নাই। তেন্তে ফোন? তাই লগে লগে কলবেক কৰিলে।

"The number you have dialed is switched off"

অনুৰণৰ মোবাইল চুইচ্ছ অফ? এই তিনি বছৰত আজি প্ৰথম তাই শুনিছে অনুৰণৰ মোবাইল চুইচ্ছ অফ বুলি। একো নাই, শুই আছে চাগে সি ৰুমতে। পাছত পাব। ওলাই যোৱাই ভাল এপাক বুলি তাই মুখখন ধুই প্ৰিয়াৰ ৰুম পালেগৈ। কিন্তু ৰুমত তলা

Kaushik

মৰা। হাৰে, এইজনী ক'লৈ গ'ল? এনেই ক'ৰবাত গ'লেতো সন্ধ্যাক কৈ যায়। তেন্তে? সন্ধ্যাই ফোন লগালে। ফোনটো ধৰোঁতেই গাড়ী মটৰৰ শব্দ শুনা পাইছিল সন্ধ্যাই। প্ৰিয়াই চিঞৰাৰ দৰে কৈছিল,

"সন্ধ্যা, মই টাউন আহিলোঁ। টিকেট কাটিবলৈ। পাছত কৰি আছোঁ ৰ।"

ফোনটো কাটি দিলে প্ৰিয়াই। অহ, সিহঁতে টিকেট কটাৰ কথা কৈ আছিল সিদিনা। তালৈকে গ'ল চাগে। সন্ধ্যাই এইবাৰ জুৰিক ফোন কৰিলে,

"জুৰি, ক'ত আছ?"

জুৰিয়ে চিঞৰাৰ দৰে ক'লে,

"ঐ টাউন আহিলোঁ আমি।"

"আমি মানে?"

"মানে, প্ৰিয়া, মই, নিমিষা, সীমা, অনুৰাধা, অনুৰণ, বিশ্বজিত আৰু ৰাজদ্বীপ।"

Kaushik

কথাটো কৈ কাটি দিলে তাই ফোন। তাৰমানে অনুৰণো সিহঁতৰ লগতে গ'ল। হয়তো সি সেই কাৰণে ফোন কৰিছিল চাগে। কিন্তু প্ৰিয়া? তাই আৰু সন্ধ্যাই চোন একেলগেই ভাত খাইছিল দুপৰীয়া। তাই এবাৰ কোৱা হ'লে সন্ধ্যাও গ'লহেঁতেন। পৰীক্ষাৰ পৰা একেলগে আহোঁতে জুৰিয়েও একো নক'লে চোন। "এহ, কিবা লৰালৰি হ'ল চাগে" বুলি ভাবিবলৈ এৰিলে তাই। অগত্যা নিজেই অকলে ওলাই আহিছিল সন্ধ্যা। আকৌ এমাহৰ বাবে ইউনিভাৰ্চিটীয়ে শান্ত হৈ পৰাৰ যোঁ জা কৰিছে যেন। প্ৰথমেই সন্ধ্যাই তাইৰ প্ৰিয় "মহামায়া"লৈ পোনালে। তাত গৈ বকুল দাৰ লগত অলপ আড্ডা মাৰিলেহে মনটো আকৌ জীপাল হ'ব। কিন্তু নহ'ল। মহামায়াৰ ভিতৰত প্ৰায় চাৰি পাঁচজন মানৰ ভিৰ। কোনোৱে কথা পাতিছে, কোনোৱে কিবা কিনিছে নাইবা প্ৰিন্ট আউট উলিয়াইছে। বকুল দাহঁত ব্যস্ত। সন্ধ্যা নোসোমাই আঁতৰি আহিল। কিয় জানো কিবা এটা ভয়লগা ভাৱে যেন খেদি ফুৰিছে তাইক। কি আছিল এইটো? এই যে নিজকে অকলশৰীয়া ৰূপত দেখাৰ ভয়, ইয়াক বাৰু প্ৰতিজন মানুহেই কঢ়িয়াই ফুৰে নেকি মনৰ মাজত?

সন্ধ্যা এইবাৰ কাঞ্চনজংঘাৰ পুলটোত বহিল। কি কৰে? কাক মাতে? কোনোবা চিনাকি মানুহক লগ নাপালে যেন তাইৰ উশাহ বন্ধ হৈ যাব। সিদ্ধাৰ্থও ঘৰলৈ গ'ল। চন্দ্ৰালীক অথনি তাই নিজেই পাইছে বাছলৈ গৈ থকা। বাকী থাকিলগৈ অভিমন্যু। কিন্তু

তাৰ কাইলৈ পৰীক্ষা। গতিকে এতিয়া তাক উলিয়াই আনিবলৈ তাইৰ মনটোৱে কোৱা নাই। তথাপি শেষত নিজক ৰখাব নোৱাৰি তালৈ ফোন লগালে,

"অভি, পঢ়ি আছ?"

"অঁ, কচোন।"

"এপাক ওলাই যাবি?"

সন্ধ্যাৰ মাতটোত যেন অভিমন্যুয়ে কিবা এটা বুজি পাইছিল। "গৈ আছোঁ" বুলি ফোনটো কাটিলে সি।

কিছু সময়ৰ পাছতে সিও আহি সেইখিনি পালেহি,

"তই ঘৰ কেতিয়া যাবি?"

"কাইলৈ, দেতা আহিব। তোৰ পঢ়া হ'ল নাই কাইলৈ কাৰণে?"

অভিমন্যুয়ে তাইৰ কাষতে বহি লৈ উত্তৰ দিলে,

"হৈছে গে আৰু। এইটো ছেম গ'লেই বে।"

সন্ধ্যাৰ মনটো সেমেকিছিল। আৰু মাত্ৰ এটা ছেমিষ্টাৰ বাকী আছে অভিমন্যুৰ। তাৰ পাছত যে "ঐ ওলাই যাওঁ ব'ল" বুলি ক'বলৈও লগ এটা নোহোৱা হ'ব। অভিমন্যুয়ে ফোনটো উলিয়ালে,

"ৰহ, জুৰিহঁতকো মাতোঁ।"

"সিহঁত নাই, টিকট কাটিবৰ কাৰণে টাউন গ'ল।"

"সিহঁত মানে?"

"মানে জুৰি, প্ৰিয়া চব।"

এতিয়াহে অভিমন্যুৰ মনত পৰিল, অনুৰণে আজি ভাত খাই থাকোঁতে তাক কৈছিল টিকট কাটিবলৈ যোৱাৰ কথা। সন্ধ্যাহঁতৰ আজি পৰীক্ষা শেষ। গতিকে টিকট কটাৰ চলেৰে গোটেই কেইটা এবাৰ ফুৰিও আহিব। অভিমন্যুৰ বাৰো কাইলৈ পৰীক্ষা আছে। কিন্তু সন্ধ্যা বাদ পৰিল কিয়? তাৰ যেন খং উঠিছিল,

"ইহঁত কেইজনী পাগল হ'ল নি অলপ? তোক নিনিয়াকে গ'ল যে?"

Kaushik

"মই শুই আছিলোঁ অ'।"

"তাতে? প্ৰিয়াতো একে হোষ্টেলৰ। তাই আহি জগাব নোৱাৰিলে?"

"বাদ দে না। পাহৰিলে আৰু কিবা কাৰণত।"

"হ'লেও আৰু।" অভিমন্যুয়ে যেন সহজ ভাৱে ল'ব পৰা নাই কথাবোৰ।

"বাদ দে এইবোৰ। ব'ল খোজ কাঢ়ো। তোৰ কাইলৈ পৰীক্ষাও আছে।"

সন্ধ্যা থিয় হ'ল। লগতে অভিমন্যুও। ইউনিভাৰ্চিটীৰ সৰু সৰু গলীবোৰেৰে খোজ কাঢ়িছিল সিহঁতে। সদায়ৰ দৰে সৰু ল'ৰা ছোৱালীৰ কাজিয়াবোৰ নাছিল সিহঁতৰ মাজত আজি। খোজকঢ়াৰ মাজতে সন্ধ্যাই সুধিলে,

"বিএ বিএডৰ পাছত কি কৰিম ভাবিছ? এম এ?"

"এম এ নকৰোঁ বে। ভাবিছোঁ এবাৰ এন এচ ডিত দি চাওঁ। কি হয়।"

"হুমম। যদি পাঁৱ?"

"পালে যামগৈ আৰু।"

অলপ সময় একো কোৱা নাই সন্ধ্যাই। অভিমন্যুৰ মুখতো মাত নাই। অভিহীন ইউনিভাৰ্চিটীখন কল্পনা কৰিব চোন পৰাই নাই তাই। হুঁমুনিয়াহ সৰিছিল সন্ধ্যাৰ।

আঠ বজাৰ বাছখনত আজি পূৰা ভিৰ। অনুৰণহঁত সোনকালে আহিল বুলিহে ছিট কেইটা পাইছে। আচলতে সিহঁতৰ কাম সোনকালেই হ'ল। কিন্তু জুৰি আৰু প্লাৱিতাই উৎপাত লগালে, পৰীক্ষা শেষ আজি অলপ ফুৰোঁ। তাতে অনুৰাধাইও তেজপুৰ ফুৰাই নাই। সেইমতে টিকট কাটি লৈ ক'ল পাৰ্ক পালেগৈ সিহঁত। তাত অলপ সময় থাকি ৰেস্তোঁৰাত সোমাল। তাতে খাই বৈ এই আঠটাৰ বাছত উঠিছেহি। জুৰিহঁত পিছৰ ছিটত। ৰাজদ্বীপ আৰু বিশ্বজিত সমুখত ড্ৰাইভাৰৰ কেবিনত। প্ৰথমৰ দুজনীয়া ছিট এটাত বহি আছে অনুৰণ। তাৰ কাষতে খিৰিকীৰ ফালে অনুৰাধা। জুৰিয়েই তাইক জোৰকৈ তাত বহুৱাই থৈ গৈছে। অনুৰাধাই মাজে মাজে দুই এটা কথা সুধিছে যদিও বিশেষ একো উত্তৰ নিদি মাত্ৰ "ও", "আ" কৰি গৈছে অনুৰণে।

Kaushik

অলপ পাছতে বাছ চলিল। দিনটোৰ ভাগৰত চব ভাৰাক্ৰান্ত। অনুৰাধা মাজতে টোপনি গ'ল। টোপনিৰ জালতে বাছৰ পাকত মূৰটো আহি অনুৰণৰ কান্ধত পৰিলহি। এক অস্বস্তিত বাহুটো লৰাই দিলে সি। থকমককৈ সাৰ পাই গ'ল তাই। অনুৰণক ক'লে,

"অহ, ছৰী।"

"হমম" বুলি মাত্ৰ কৈ থ'লে অনুৰণে তাইলৈ নোচোৱাকৈ।

প্ৰায় আধা ঘন্টা মানৰ মূৰত বাছখন ইউনিভাৰ্চিটীত সোমালহি। Essentialতে বাছখন ৰোৱাত জুৰিহঁত গোটেইবোৰ এটা এটাকৈ নামি আহিল। essentialৰ টেবুল এখনত বহি আছিল সন্ধ্যা আৰু অভিমন্যু। এপাক ঘূৰি আহি তাতে বহিছিলহি। আজি পৰীক্ষা শেষ বাবে essentialভৰি আছে। নানা জনৰ চিঞৰ, হাঁহিয়ে উমাল কৰি তুলিছে শীতৰ সেমেকা সন্ধিয়াটোক। কুঁৱলী পৰিবলৈ লৈছে অলপ অলপকৈ। তাৰ মাজতে এনে আড্ডাবোৰৰ মজাই সুকীয়া।

"ঐ, সন্ধ্যা--" প্লাৱিতাই সন্ধ্যাক দেখি চিঞৰিলে। গোটেই থিনি আহি সন্ধ্যাহঁতৰ ওচৰ পালেহি। চকীকেইখন আনি ঘূৰণীয়া টেবুলখন বেৰি বহিল। সিহঁতক দেখিয়ে অভিমন্যুৰ খংটো আকৌ উঠি আহিল। নিজক ৰাখিব নোৱাৰি অভিমন্যুয়ে জুৰিহঁতলৈ চাই কৈয়ে দিলে,

"তহঁত গোটেইবোৰ গৈছ যেতিয়া সন্ধ্যাকনো এৰি গ'লি কিয়?"

"আমি টিকট কাটিবলৈহে গৈছোঁ। সন্ধ্যাই কি বিশ্বনাথ চাৰিআলিলৈ টিকট কাটিব নেকি?"

জুৰিৰ উত্তৰত অভিমন্যুৰ যেন আৰু খং উঠিছিল। সি ওলোটাই ক'লে,

"টিকট কাটোতে আঠটা বাজিলনে তহঁতৰ?"

"অভি, কিনো বকি আছ। মনে মনে থাক না।"

সন্ধ্যাৰ কথাত মনে মনে ৰ'ল সি। সন্ধ্যাই জুৰিক সুধিলে,

"টিকট পালি নাই?"

"পালোঁ দে কিবা কে। এতিয়াহে চিন্তাটো কমিছে।"

Kaushik

অলপ সময় তাতেই কথা পাতিলে সিহঁতে। সন্ধ্যাই মন কৰিছিল সিহঁতবোৰৰ মাজত অনুৰণ নাই। তথাপি কাকো একো সোধা নাছিল তাই।

"মই যাওঁ দে। কাইলৈ আছেই এটা।" বুলি অভিমন্যু হোষ্টেললৈ আগবাঢ়িল।

"তইঁতো গৈ থাক নহ'লে। ভাগৰ লাগি আহিছে।"

সন্ধ্যাৰ কথাত যাবলৈ লৈ জুৰিয়ে ক'লে,

"সন্ধ্যা, এটা কথা কওঁ। বেয়া নাপাবি। আমি তোক লগ নধৰাৰ কাৰণে কিবা বেয়া পাইছ, আমাৰ আগতে ক। অভিমন্যুৰ আগত গোচৰ দিবলৈ কি হ'ল আকৌ।"

"নহয় জুৰি। তাক গোচৰ দিয়া নাই। আচলতে সি--"

সন্ধ্যাক ক'বলৈ নিদি প্ৰিয়াই ক'লে,

"চা সন্ধ্যা। সিতো এতিয়া আমাৰ ক্লাছমেট নহয়। গতিকে চব কথা তাক শ্বেয়াৰ কিয় কৰিব লাগে? নেক্সট ইয়েৰতো সি যাবগৈ। তইতো আমাৰ লগতে থাকিব লাগিব।"

কথাখিনি কৈ আঁতৰি গৈছিল প্ৰিয়াহঁত। সন্ধ্যা থৰ হৈ গৈছিল। অভিমন্যুৰ কথা এনেকৈও ক'ব পাৰে নে ইহঁতে! কি আচৰিত মানুহৰ মন। ইহঁত কেইজনীয়েই এদিন সন্ধ্যাক কোৱা মনত আছে,

"অভিমন্যুৰ ক্লাছ বেলেগকৈ হ'লে বেয়া লাগিব। সি থাকিলেহে ক্লাছটো জমে।"

আৰু আজি, এইয়া। সন্ধ্যাই একো মতা নাছিল।

"সন্ধ্যা--"

কাৰোবাৰ মাতত তাই ঘূৰি চাই দেখে অনুৰাধা ৰৈ আছে।

"জুৰিহঁতৰ কথাত বেয়া নাপাবা। দিনটোৰ ভাগৰত আছে যে। ঘপকৈ কৈ দিলে আৰু।"

অনুৰাধাৰ কথাত সন্ধ্যা আৰু আচৰিত হৈছিল। জুৰি, যাক তাই যোৱা তিনি বছৰ ধৰি পাই আহিছে। তাইৰ হৈ আজি কৈফিয়ৎ দিছে নতুনকৈ অহা এই ছোৱালীজনীয়ে। অনুৰাধালৈ চাই হাঁহি মাৰি ক'লে সন্ধ্যাই,

"নাই নাই। সিহঁতক আৰু কি বেয়া পাম।"

Kaushik

অনুৰাধাই ক'লে,

"দিয়া, মইও হোষ্টেল যাওঁ। আৰু শুনা, যোৱাৰ সময়ত অনুৰণে তোমালৈ ফোন কৰি আছিল। সি ভাবিছিল তুমিও যাবা বুলি। পাছত চাৰ্জ নাছিল বাবে তাৰ ফোনটো অফ হৈ থাকিল।"

সন্ধ্যাই কি ক'ব ভাবি নাপাই মাত্ৰ ক'লে,

"অঁ, একো নাই।"

"আৰু সি এতিয়া গেটৰ ওচৰতে নামিল। এইফালে নাহিলেই।"

কথাটো কৈ অনুৰাধা হোষ্টেললৈ গ'ল। সন্ধ্যাও আহি সোৱণশিৰীত সোমালহি।

ৰাতি ভাত খাই কাপোৰ জাপিলেহি সন্ধ্যাই। কাইলৈ পুৱাতে দেউতাক আহিব। এমাহৰ বাবে আকৌ ঘৰত। ভালেই, সন্ধ্যাৰ মাকৰ গাটো বৰ ভাল নহয়। তাই থকাৰ কেইদিন মাকক অন্ততঃ চাব পাৰিব। কাপোৰৰ বেগটো সাজু কৰি বিচনাত পৰোঁতেই ফোনটো বাজিল। অনুৰণে কৰিছে। তাই কাণত লৈ ক'লে,

Kaushik

"কোৱা ৰণ।"

"তুমি কিয় নগ'লা আজি?" তাৰ মাতত যেন অভিমান।

"মই গমেই নাপালোঁ অ'। কোনেও নক'লেও।"

অলপ সময় নীৰৱতা। কিছু উদাস হুঁমুনিয়াহ। অনুৰণে ক'লে,

"মই তুমি যাবা বুলিহে--"

"টিকট কাটিলা?"

"উম। কাইলৈ ৰাতি আছে বাছ।"

"মই ৰাতিপুৱাই যামগৈ। দেউতা আহিব।"

আকৌ কিছু সময় কাৰোৰে মাত নাই। হঠাৎ অনুৰণে ক'লে,

"গান এটা গোৱা না।"

"গান?" এই ৰাতি দুটা বজাত গান গাবলৈ কোৱাত হাঁহি উঠিছিল তাইৰ। সি আকৌ ক'লে,

"গোৱা না।"

"অনুৰাধালৈ কনফাৰেন্স কৰোঁ নেকি? তাই গাই দিয়ক গান এটা?" সন্ধ্যাই হাঁহি হাঁহি জোকাইছিল অনুৰণক। তাৰ আকৌ অভিমান,

"হ'ব নালাগে। বাই।"

"আৰে ৰ'বা। ইমান খং নে আজি।"

"তোমাক খং কৰোঁ নি মই?"

"নকৰা বাবু।"

আকৌ অলপ সময় নীৰৱতা।

"গাবা নে?"

"অ'কে বাবা। গাইছোঁ।"

মিচিকিয়া হাঁহি নিগৰিছিল অনুৰণৰ। সন্ধ্যাৰ মৰমসনা মাতত চকু মুদি দিছিল সি। অনুৰণৰ শান্ত মুখখন মনলৈ আনি সন্ধ্যাইও গাই গৈছিল,

"Tere sang hasna main

Tere sang rona

Tujhme hi rehna main

Tujhme hi khona

Dil mein chhupa ke tujhe dil naiyo kholna

Marke bhi maahi tosey munh na modna

Bolna mahi bolna

Bolna mahi bolna...."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 101

আপোন জনৰ লগত সময়ৰ হিচাপ গম পোৱা নাযায় সঁচা ; কিন্তু সময়ৰ লগে লগে আপোন মানুহৰ হিচাপ নিশ্চয় পোৱা যায়। ইউনিভাৰ্চিটীয়ে এই যোৱা চাৰে তিনি বছৰত আন নহ'লেও মানুহ চিনিবলৈ শিকালে অভিমন্যুহঁতক। প্ৰথমৰ পৰা একেলগে দিন পাৰ কৰা লগবোৰৰ সলনি হোৱা ব্যৱহাৰে আঘাত দিছিল সন্ধ্যাক। তথাপি সময়ৰ প্ৰভাৱ বুলি মানি লৈছিল তাই। কিন্তু এইবাৰ এইটো ছেমিষ্টাৰত যে ইউনিভাৰ্চিটীখনত সোমাবলৈয়ে মন যোৱা নাই। কিছুমান সময় আমি নিবিচাৰিলেও আমাৰ কাষলৈ আহেই। আৰু মাত্ৰ ছমাহৰ পাছতে অভিমন্যুৰ বিদায়। নহয়, ক'তনো ছমাহ! এতিয়া জানুৱাৰীৰ আধা গ'লেই, আৰু মে'ত তো শেষেই। পাঁচ মাহো নাই। ইউনিভাৰ্চিটী যোৱাৰ দিন ওচৰ চপাৰ লগে লগে বুকুখনত যেন কিবা উৰুঙা ভাৱ এটাই নৌকা বিহাৰহে কৰিছে সন্ধ্যাৰ। অনবৰতে মনটো উদাস হৈ থাকে। উশাহবোৰ কিবা ঘন ঘন হয়। কিবা এটা ভয়ে যে খেদি ফুৰে তাইক। এৰা, ভয়। নিজক হেৰুৱাৰ ভয়, নিসংগতাৰ ভয়। সেই যে পাঁচ বছৰীয়া কোৰ্চটোত সোমোৱাৰ পৰাই যোৱা তিনি বছৰ ছটা মাহ অভিমন্যু তাইৰ কাষত প্ৰতিটো পৰিস্থিতিত থিয় দি ৰৈছিল। ফুল যেন কোমল সন্ধ্যাক প্ৰত্যুৎত্তৰ দিবলৈ শিকাইছিল সি। নিজৰ হৈ থিয় দিবলৈও তাৰ পৰাই শিকিছে তাই। কিন্তু এতিয়া সেই অভিমন্যুকে তাই বিদায় কি দৰে দিব বাৰু? কিন্তু পাৰিবতো লাগিবই। সময়ে তাইৰ স্মৃতিৰ আঁচল ভৰাই দি যোৱা ভাল লগাখিনিৰেই অভিমন্যুক বিদায় দিব লাগিব।

হোষ্টেলত অহাৰ পৰাই যিমান বাৰেই বন্ধত ঘৰলৈ গৈ অভিমন্যু উভতি আহিছে প্ৰতি বাৰেই এটা গধূৰ মন লৈ সোমায়। "আকৌ এইখনত সোমালোহি" বুলি খঙো উঠে তাৰ। কিন্তু এইবাৰ প্ৰায় ডেৰ মাহ ঘৰত থাকি যেতিয়া ইউনিভাৰ্চিটীৰ চৌহদত সোমালেহি কিবা যেন বেলেগ অনুভৱ হৈছে অভিমন্যুৰ। কিবা এক অনন্য শান্তি। বসন্তৰ অপেক্ষাত ৰঙা ৰং গাত মেৰাই লোৱা নাহৰ কেইজোপাও যেন ধুনীয়া হৈ দেখা দিছে তাৰ চকুত। কাঞ্চনজোপাও যেন সাজু হৈছে গোলপীয়া হাঁহিটোৰে বসন্তক চুমাটো দিবলৈ। এই আটাইবোৰে যেন অভিমন্যুক আদৰিছে। জ্যোতি তোৰণৰ পৰাই দীঘলীয়া বাটটোও যেন আজি সোণালী হৈ পৰিছে।

মেইন গেটৰ প্ৰকাণ্ড তোৰণখনৰ সমুখত ৰৈ এখন্তেক চাই ৰৈছে অভিমন্যুয়ে। আৰু মাত্ৰ পাঁচ মাহ। বুকুখনে যেন উশাহটো টানিব পৰা নাই। কত যে কাহিনী, কত যে হাঁহি মাৰ যাবগৈ আৰু পাঁচ মাহৰ পাছতে। তাৰ পাছত ক'ত বা ঠিকনা।

"অভিমন্যু দা, কেতিয়া পালেহি?"

হঠাৎ কাৰোবাৰ মাতত হে ভাৱনাৰ তন্দ্ৰা ভাঙিল অভিমন্যুৰ। ঘূৰি চাই দেখে হোষ্টেলৰে জুনিয়ৰ প্ৰাঞ্জল ৰৈ আছে। অভিমন্যুৰ সেমেকা চকুহাল দেখি প্ৰাঞ্জলে আকৌ সুধিলে,

"দাদা, আপুনি কান্দিছে?"

"নাই বে। পাগল নি? এই টেম্পুত আহিলোঁ যে ধূলিত চকু কেইটা---"

অভিমন্যুৰ কৈ নহওঁতেই তাক আঁকোৱালি ধৰিলে প্ৰাঞ্জলে,

"চকুপানীবোৰ লুকুৱালে কষ্ট বেছি হয় দাদা।"

অভিমন্যুৰ চকুৰেদি বৈ আহিছিল টোপাল এটা। মৰমেৰে প্ৰাঞ্জলক সাৱটি ল'লে সিও,

"তহঁতে এনেকুৱা কৰিলে মোৰ কি হ'ব হা?"

আজি অভিমন্যুয়ে বুজিছে সেই দেৱা দা যাওঁতে যে তাক জোৰেৰে সাৱটি ধৰিছিল, কিমানখিনি চেঁপি থোৱা কষ্ট আৰু হুঁমুনিয়াহ লুকাই আছিল তাত। চাৰি বছৰ এখন ঠাইত থাকি, তাৰ মাজতে ডাঙৰ হৈ চিৰদিনৰ বাবে সেই ঠাইখন এৰি যোৱাৰ যন্ত্ৰণা এইবাৰ হয়তো অভিমন্যুয়েও অনুভৱ কৰিব লাগিব। প্ৰাঞ্জলক তাতে এৰি সি ভিতৰলৈ আগুৱালে।

পাটকাইলৈ গৈ থকাৰ সময়তে কাষৰ সেউজীয়াবোৰে যেন সোঁৱৰাইছে হাতত মাত্ৰ পাঁচটা মাহ। সময়, সঁচাকৈ বৰ আচৰিত তই! ৰুমৰ চিনাকি গোন্ধটো পাওঁতেই চকুৰ পতাযোৰ আকৌ অলপ ভিজা যেন লাগিল অভিমন্যুৰ। খুব ভাগৰুৱা মন এটাৰে বিচনাত গাটো এৰি দিলে সি।

সোৱণশিৰীৰ নিজৰ ছিংগল ৰুমটোত সোমাওঁতেই বেৰত ওলোমাই থোৱা ম'ৰা পাখিটো চকুত পৰিল সন্ধ্যাৰ। সেই যে ইয়ালৈ অহাৰ পাছত তাইৰ প্ৰথমটো জন্মদিনত অভিমন্যুয়ে উপহাৰ দিছিল। কেতিয়াবা বতাহত সৰি পৰিছে পাখিটো। তাই আকৌ

Kaushik

জোৰা দিয়ে। কাষৰ সৰু সৰু পাখি কেইটা মানো ছিঙি পৰিছে যদিও পাখিটোৰ লগ এৰা নাই সন্ধ্যাই। আগৰ ৰুমটোৰ পৰা আহোঁতেও পাখিটো লগত লৈ আনিছে তাই।

আজি যেন পাখিটোৱেও সন্ধ্যাক অভিমন্যু যোৱাৰ বতৰাই দিছে। যিমান বাৰেই পাখিটোলৈ চকু গৈছে, বুকুখন মোচৰ খাই উঠিছে তাইৰ। অতদিনে যে সন্ধ্যাৰ পৃথিৱীখন অভিমন্যুক কেন্দ্ৰ কৰিয়ে ঘূৰি আছিল। হয় আছে, অনুৰণো আছে। কিন্তু বন্ধুত্বৰ অভাৱ প্ৰেমে পূৰাব পাৰে জানো! অনুৰণৰ আগত সন্ধ্যাই সকলো কথা খুলি ক'ব পাৰে, কান্দিব পাৰে, অভিমান কৰিব পাৰে। কিন্তু ফিল্ডৰ মাজত নহ'লে ক্লাছত বেঞ্চৰ মাজে মাজে দৌৰা দৌৰি কৰি, সৰু সৰু কথাতে চুপতা চুপতি কৰি, গানৰ তালে তালে জঁপিয়াই নাচ বাগ কৰি নিজৰ শৈশৱ বিচাৰাটো কেৱল অভিমন্যুৰ লগতহে সম্ভৱ। অভিমন্যুৰ প্ৰস্থানৰ লগে লগে যেন এইবোৰো শেষ হ'ব তাইৰ।

কিন্তু, উপায়তো নাই। তাই ভাবিলে বুলি জানো দিনবোৰ ৰৈ যাব? অনৰ্থক ভাবনাৰ সাগৰত বেদনাৰ নাও বাই নিজক কষ্ট দিয়াৰ যুক্তি ক'ত। অগত্যা এটা হুঁমুনিয়াহৰ লগতে ভাবি থকা কথাবোৰ সৰাই ৰুমটো চাফা কৰাৰ কামত লাগিল সন্ধ্যা।

Kaushik

অভিমন্যুহঁতৰ বিএ বিএডৰ এইবাৰ মূৰ দাঙিব নোৱাৰা ব্যস্ততা। চাৰিমাহৰ স্কুল ইন্টাৰ্ণশ্বিপ। ইন্টাৰ্ণশ্বিপৰ বাবে অভিমন্যুয়ে বাছি লৈছিল তেজপুৰ বিশ্ববিদ্যালয়ৰ কাষত থকা নপাম এম ভি স্কুলখন। ইউনিভাৰ্চিটীৰ গাতে লাগি থকা স্কুলখনৰ পৰিৱেশটো সঁচাই মন জুৰ পৰা। চাৰিওফালে ক্লাছৰুমবোৰ। মাজতে বহল ঠাইখিনি আৰু লগত প্ৰিঞ্চিপালৰ অফিচটো। ক্লাছৰুমবোৰৰ কাষে কাষে নিম, পাইন আদি গছবোৰ। মাজৰ ফিল্ডৰ দৰে ঠাইটুকুৰ গছবোৰৰ ছাঁখিনিয়ে আৱৰি ৰাখে। অভিমন্যুকে ধৰি বিএ বিড আৰু বি এচ চি বি এডৰ ছটা মান ল'ৰা ছোৱালীয়ে নপাম স্কুলখন বাছি লৈছে। বাকী সৰহ ভাগ গৈছে ইউনিভাৰ্চিটী কেম্পাছতে থকা কে ভি অৰ্থাৎ কেন্দ্ৰীয় বিদ্যালয়খনলৈ।

নপাম স্কুলখনত সোমায়েই মুখেৰে আপোনা আপুনি হাঁহি এটা ওলাইছিল অভিমন্যুহঁতৰ। চাৰিওফালে সৰু সৰু ল'ৰা ছোৱালীবোৰে দৌৰা দৌৰি কৰি আছে। তাৰ মাজতে ডাঙৰ কেইটা মানে ঝাৰুৰে গোটেই ঠাইখিনি সাৰিছে। সৰাপাত আৰু আন আন লেতেৰাবোৰ পাচিত ভৰাই আঁতৰত পেলাইছে। অভিমন্যুহঁতে বুজিছিল, পৰিৱেশ পৰিস্কাৰৰ শিক্ষা এনেদৰেই দিছে স্কুলখনত। ল'ৰা ছোৱালীবোৰৰ মাজেৰেই সিহঁত প্ৰিঞ্চিপালৰ কোঠাটোলৈ

সোমাই গ'ল। অলপ পাছতে এডুকেশ্যনৰ প্ৰফেচাৰ এজনো আহিল। তেওঁ প্ৰিঞ্চিপালৰ লগত কথাবোৰ পাতি ঠিক কৰিলে। অহা চাৰি মাহৰ বাবে অভিমন্যুহঁতে স্কুলখনত পঢ়াব। এজনে দৈনিক অতি কমেও দুটাকৈ ক্লাছ কৰিব লাগিব। বিএ বিএডৰ অকল অভিমন্যু আৰু জ্যোতি পৱনহে আছিল। সিহঁতে ইংৰাজী আৰু সমাজবিজ্ঞান পঢ়াব। অভিমন্যুয়ে ক্লাছ ছিক্স আৰু এইটত। জ্যোতি পৱনে ক্লাছ ছেভেন আৰু এইটত। বাকী বি এচ চি বিএডৰ গীতালিহঁতে অংক, বিজ্ঞান আদিবোৰ পঢ়োৱাৰ দায়িত্ব ল'লে। প্ৰিঞ্চিপাল ছাৰে অভিমন্যুহঁতক এটা ৰুম পৃথককৈ দিয়েই দিলে। তাৰ ছাবিও সিহঁতৰ হাতত চাৰি মাহৰ বাবে দি থ'লে। ক্লাছ নাথাকিলে তাতেই জিৰাব পাৰিব সিহঁতে। প্ৰথম ৰুমটোত সোমাই চকু কঁপালত উঠিছিল অভিমন্যুহঁতৰ। ৰুমটো ধূলিৰে পোত গৈ আছে। মাজতে এখন দীঘল টেবুল আৰু কাষত ছেদেলি ভেদেলি হৈ থকা চকীবোৰ। ৰুমটোত চাৰিওফালে কিতাপ, বহী, ষ্টুডেণ্টে বনোৱা মডেল, পোষ্টাৰ আদিৰে থূপ খাই আছে। প্ৰায় দুঘন্টা মান লাগিছিল গীতালিহঁতৰ সেইবোৰ চাফা কৰোঁতে। গোটেই বোৰ চাফা কৰি লৈ আৰামত বহিল সিহঁত। সেইটোৱেই হৈ পৰিল অভিমন্যুহঁতৰ কমন ৰুম। ক্লাছৰ লগে লগে অফ টাইমত আড্ডা, লেচন প্লেন বনোৱা আদিবোৰো চলি আছিল। স্কুলখনৰ শিক্ষকসকলো খুব মৰমিয়াল আছিল বাবে ক্লাছ কৰি ভাল পাইছিল সিহঁতে। লাহে লাহে দিনটো স্কুলতে ব্যস্ত থকাৰ বাবে ডিপাৰ্টমেন্টৰ লগত অভিমন্যুহঁতৰ সংযোগ কমি গৈছিল। চাৰিমহীয়া হ'লেও বি এডে আনি দিয়া শিক্ষকৰ জীৱনটো যেন উদযাপন কৰিছিল সিহঁতবোৰে।

Kaushik

শৰাইঘাট ছাত্ৰনিৱাস ; তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিজন ছাত্ৰৰে যেন সপোনৰ হোষ্টেল। সম্পূৰ্ণ নিজাকৈ এটা ৰুম লৈ নিজৰ মতে পৃথিৱীখন গঢ়ি তোলাৰ হেঁপাহ, মাজনিশা বেলকণিত অকলশৰে বহি ছিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীৰ মাজত জীৱনৰ সাঁথৰ খুচৰাৰ হেঁপাহ আদি হেঁপাহবোৰক বাস্তৱ কৰি তোলে শৰাইঘাট ছাত্ৰ নিৱাসে। সেই শৰাইঘাটৰে এতিয়া স্থায়ী বাসিন্দা প্ৰিয়ানুজ। এইবাৰ পি এইচ ডিত পোৱাৰ পিছতে প্ৰিয়ানুজৰ ঠিকনা পাটকাইৰ পৰা শৰাইঘাট হ'লহি। প্ৰিয়নুজৰ লগতে শৰাইঘাটত বাহৰ পাতিলেহি অভিমন্যুয়ে। প্ৰিয়ানুজ ৰুমত সোমোৱাৰ পৰাই অভিমন্যু বেছি ভাগ আজি কালি শৰাইঘাটতে থাকে। কেতিয়াবাতো ৰাতি দেৰিলৈকে ভূতৰ চিনেমা চাই তাতে শুইও যায়। প্ৰিয়ানুজেও লগ এটা হোৱাত ভালেই পায়।

সিদিনাও ৰুমত আড্ডা মাৰি থাকোতেই শৰাইঘাটৰে মৃন্ময়ে কথাটো উলিয়ালে,

"প্ৰিয়ানুজ এই কেব থন মানে কি হ'ব গে বাৰু?"

কেব (CAB) মানে Citizenship Amendment Bill, 2016। এই বিলখন লৈয়ে যোৱা এমাহ ধৰি হুলস্থুল। অভিমন্যুহঁতে বৰ বিশেষ নাজানে যদিও এটা কথা বুজিছে যে সকলোৱে মৰমেৰে পতা চৰকাৰখনে কিবা হিন্দু বাংলাদেশী আনিব খুজিছে। এই লৈ ঠাই বিশেষে বিভিন্ন প্ৰতিবাদৰ কথা শুনি আছে। যোৱা ডিচেম্বৰ মাহত তেজপুৰ বিশ্ববিদ্যালয়ৰ কেইজন মান ছাত্ৰ ছাত্ৰীয়েও ওলাই আহি এই সন্দৰ্ভত আলোচনা কৰিছিল বোলে। অৱশ্যে সেইয়া প্ৰতিবাদ ঠিক নহয়, কেইজন মান আহি জাতীয় সংগীত গাই কেব থন মানি নোলোৱাৰ কথা কৈছিল। বহুতে কৈ আছিল ইউনিভাৰ্চিটিত আহি পুনৰ কিবা প্ৰতিবাদ কৰাৰ কথা। কিন্তু ইয়াত আৰু ক'ত সেইবোৰ সম্ভৱ। এবাৰ প্ৰতিবাদ কৰিয়েই যি গতি হ'ল। এতিয়া যে কোনো নোলায়। এতিয়া সেই ৰুমে ৰুমে মৰা আড্ডাতেই সীমাবদ্ধ সকলো। এতিয়াও তেনে আড্ডাতে মৃন্ময়ে কথাটো উলিয়ালে। বিচনাত বহি থকাৰ পৰাই প্ৰিয়ানুজে ক'লে,

"এতিয়াতো ৰাজ্যসভাত বাৰু বিলখন ৰ'ল। কিন্তু আকৌ যদি আহি থকা লোকসভা ইলেকচনত একেটা পাৰ্টিয়েই জিকে তেন্তে আকৌ আহিব।"

"এই চৰকাৰখনে এনেকুৱা কিয় কৰিছে বাৰু, বাংলাদেশী মথাক আনি কি কৰিব খুজিছে। নিজৰে অৱস্থা নাই।" এইবাৰ কেশৱ বোলা ল'ৰাজনে ক'লে।

প্ৰিয়ানুজৰ কাষতে থকা ৰক্তিমে ক'লে,

"কি কৰিব আৰু? চব ভোট বেংকৰ ৰাজনীতি। অসমীয়াৰ যি হয় হওঁক, কোনে চিন্তা কৰে।"

"এই ৰচোন। কিবাতো ভালো হ'ব পাৰে। সিহঁতে জানো অতবোৰ মানুহৰ কথা নুশুনি এইচব কৰিবনে?"

অথনিৰে পৰা মনে মনে থকা বিমলে কোৱা কথাটোৰ মুখনি মাৰি প্ৰিয়ানুজে মন্তব্য দিলে,

"ভাল নে বেয়া নাজানোঁ, কিন্তু চৰকাৰে একো নুবুজি এই কথাতে লাগি থাকিলে যে অসমৰ পৰিস্থিতি আমি ভাবিব নোৱাৰা ধৰণে ভয়ংকৰ হৈ যাব সেইটো কিন্তু সঁচা।"

"ঠিক কৈছা প্ৰিয়ানুজ। মোৰতো মাজে মাজে ভাৱ হয় কেনেবাকৈ সেই তিৰাশীৰ দিনবোৰ ঘূৰি নাহেতো!"

Kaushik

সিদ্ধাৰ্থৰ কথাত সকলো মনে মনে ৰৈছিল। কিয় জানো সকলোৰে ষষ্ঠ ইন্দ্ৰিয়ই কৈছিল সময়বোৰ যেন খুব বেয়াৰ ফালে ঢাল খাইছে।

ক্লাছবোৰ আৰম্ভ হৈছিল। অভিমন্যুক আজিকালি লগ পোৱাই নহয় সন্ধ্যাৰ। দিনটো তাৰ স্কুলতেই ক্লাছ। আবেলি আকৌ ডিপাৰ্টমেন্টত নিজৰ ক্লাছ। গতিকে ভাগৰে জুগৰে সন্ধিয়াটো সি শুই যায়। সাৰ পাই আঠটা মানত। তেতিয়া লগ কৰা নহয়গৈ আৰু। তাৰ মাজতে অৱশ্যে সি নিজে কেতিয়াবা সন্ধ্যাক মাতি লগ কৰে। দুই এষাৰ কথা পাতে। ক্লাছৰ খা খবৰবোৰ সোধে।

তেনেকৈয়ে বাগৰি আছে সময়। সেইদিনা সন্ধ্যাহঁতৰ দুপৰীয়া আঢ়ৈ বজাত ক্লাছ আছিল। ৰাতিপুৱাও চাৰিটা ক্লাছ হৈছিল সেইদিনা। ক্লাছলৈ যাবলৈ কাৰো মন নাই। কিন্তু উপায়ো নাই, মাষ্টৰ্চত ক্লাছ খতি কৰা মানে নিজৰে বিপদ। ভাত কেইটা খাই বিচনাতে অলপ বাগৰি আছিল সন্ধ্যাই। দুটা পোন্ধৰ হোৱাত ওলাই আহি সোৱণশিৰীৰ আগফালে ৰ'লহি। প্ৰিয়াৰ চাগে ওলাই হোৱাই নাই। তাই ফোন লগালে।

"ঐ সন্ধ্যা, মই প্লাৱিতাৰ লগতে চাইকেলত আহিলোঁ। তই আহি থাক।"

কথাটো কৈ ফোনটো কাটি দিলে প্ৰিয়াই। আজি প্ৰথম বাৰলৈ সন্ধ্যাৰ মনটো বেয়া লাগিল প্ৰিয়াৰ কথাত। নাই, এইবাবে বেয়া লগা নাই যে তাই সন্ধ্যাক এৰি গ'ল। তাই আগতেও সন্ধ্যাক এৰি গৈছে, কিন্তু কথাটো অন্ততঃ কৈ যায় যে মই আহিলোঁ। কিন্তু আজি ইমান ব্যস্ত হ'ল নে যে তাইক যাওঁ বুলি ক'বলেও পাহৰিলে। এইজনী প্ৰিয়াকে নোকোৱাকৈ এসময়ত ভাতো নাখাইছিল সন্ধ্যাই। কেঁচা হুঁমুনিয়াহ এটা সৰাই সন্ধ্যা ক্লাছলৈ গ'ল।

এনেই দুপৰীয়াৰ ক্লাছ, ৰাইজে ভাত ঘুমটি মৰাই নাই তাতে ক্লাছটো লৈছে বসন্ত ছাৰে। বসন্ত ছাৰৰ কওঁ নকওঁকৈ কোৱা মাতটো শুনিলেই টোপনি আহে চবৰে। হামিয়াই হিকটিয়াই বহি আছে সকলো। কোনোবাই আগত বহাজনৰ আঁৰ লৈ বেঞ্চতে মূৰটো পেলাইছে। কোনোবাই মোবাইলটো উলিয়াই তাতে কিবা খুচৰিছে। মুঠতে বেছি ভাগৰে ক্লাছত মন নাই।

একেবাৰে শেষৰ বেঞ্চত অকলে বহি আছে সন্ধ্যা। তাইৰ আগৰ বেঞ্চখন খালী আৰু তাৰ আগৰ খনত অনুৰণ আৰু ময়ূঁৰ। বাকীবোৰৰ দৰেই সন্ধ্যাইও হামিয়াই হামিয়াই জোৰকৈ চকু কেইটা মেলি আছে। মাজে মাজে মূৰটো পেলাই দিছে বেঞ্চত। ৰোলকল

Kaushik

কৰি হোৱাৰ পাছত বসন্ত ছাৰে পঢ়াবলৈ লৈছে। এনেতে ভাইব্ৰেচনত মোবাইলটো কঁপি উঠিল সন্ধ্যাৰ। উলিয়াই দেখে অনুৰণৰ মেচেজ,

"Eman tuponi ne?"

তাই হাঁহি মাৰি তাৰ ফালে চালে। সি আগত বহিও তাইলৈকে লক্ষ্য কৰি আছে মানে। মেচেজৰ উত্তৰ দিলে সন্ধ্যাই,

"Xui jam etia moi"

অলপ সময় ৰৈ অনুৰণে দিলে,

"Polai diu bola"

নিজৰ চকু কেইটাকেই যেন বিশ্বাস কৰিব পৰা নাই সন্ধ্যাই। অনুৰণেই কৈছে নে? তাকো বাংক মৰাৰ কথা? তাৰ ফালে চালে এবাৰ। এপাকত সিও ঘূৰি চাইছিল। তাইলৈ চাই বিশেষ ভংগীমাত চেলাউৰি ডাল উঠাই দিলে সি। কোনোমতে হাঁহিটো ৰখালে সন্ধ্যাই। সন্ধ্যাহঁতৰ এতিয়াৰ ক্লাছৰুমটো যথেষ্ট দীঘল। ৰুমটোত দুখনকৈ দুৱাৰ আছে। এখন দুৱাৰ প্ৰফেচৰৰ টেবুলৰ সমুখেৰে আৰু আনখন একেবাৰে শেষৰ ফালে, মানে এতিয়া সন্ধ্যা আৰু অনুৰণ বহা বেঞ্চদুখনৰ মাজত। পিছফালৰ সেই দুৱাৰখনেদি মাজে মাজে বহুতেই পলাই বাংক মাৰে। এবাৰ এটেণ্ডেনচটো দি ছাৰে তলকিব নোৱাৰাকৈ ওলাই দিয়ে। প্ৰায় সত্তৰটাতকৈও অধিক ষ্টুডেন্টৰ ক্লাছটোত কোনোবা ওলাই গ'লেও গম পোৱাৰ অৱকাশ নাথাকে বাবে আজিলৈকে কোনো ধৰা পৰা নাই। ৰাজদ্বীপ, আৰিফ আনকি জুৰিহঁতো সেইফালেৰে কেতিয়াবা পলাইছে যদিও আজিলৈকে সন্ধ্যা পলাই পোৱা নাই। অনুৰণেও তেনেকৈ বাংক মৰা নাই। কিন্তু আজি সি নিজেই এই প্ৰস্তাৱ দিয়াত তাইৰ সঁচাই হাঁহি উঠিল। কথাবোৰ ভাবি থাকোঁতেই অনুৰণে আকৌ মেচেজ দিলে,

"Oi jaba ne?"

কিয় জানো সন্ধ্যাৰো আজি মন গ'ল। অলপ দুষ্টালি কৰি চোৱা যাওঁক। অনুৰণে কৈছে বুলিয়েই নহয়, এনেও জীৱনটোত অকল নিয়মৰ মাজেৰে চলিলে মানুহ নহয় শিলহেহে জীয়াব লাগিব।

"Okay" বুলি মেচেজটো দি সাজু হ'ল সন্ধ্যা।

Kaushik

বেগত কিতাপ বহীবোৰ ভৰালে। মোবাইলটো পকেটত লৈ আঁৰ চকুৰে ছাৰলৈ চাই আছে। সন্ধ্যাৰ ভাগ্য বেয়া। সেই সময়তে অথনিৰে পৰা চকীত বহি লৈ বুজাই থকা ছাৰ থিয় হ'ল।

"ধেৎ তেৰি" বিৰক্তিতে সন্ধ্যাৰ মুখৰ পৰা ওলাল। তথাপিও তাই আশা এৰি নিদি ৰৈ থাকিল সুযোগৰ অপেক্ষাত। ইচ্ছা থাকিলে উপায়তো ওলাবই। ছাৰে পঢ়োৱাৰ মাজতে বোৰ্ডত কিবা এটা লিখিবলৈ ঘূৰিলে। ছাৰে এইফালে পিঠি দিয়াৰ লগে লগে অনুৰণে সন্ধ্যালৈ চাই হাতটো মুঠি মাৰি বুঢ়া আঙুলিটো থিয় কৰি ইংগিত দিলে। সন্ধ্যা চাপৰি ছাৰে নেদেখাকৈ বেঞ্চৰ পৰা উঠিল। অনুৰণেও এখোজ দুখোজকৈ আগুৱাইছে দুৱাৰখনৰ ফালে। প্ৰায় কেই ছেকেণ্ড মানৰ ভিতৰতে কোনেও তলকিব নোৱাৰাকৈ ক্লাছৰ পিছফালৰ দুৱাৰেদি একেলগে পলাই গ'ল অনুৰণ আৰু সন্ধ্যা। এখোজ দুখোজকৈ দুৱাৰখন পাৰ হৈয়ে প্ৰাণটাকি দৌৰিছিল সিহঁতে। অনুৰণে সন্ধ্যাৰ হাতত ধৰি লৈছিল। একেবাৰে ডিপাৰ্টমেন্টৰ বিল্ডিংটোৰ বাহিৰৰ ৰাস্তাটোত আহিহে উশাহ ল'লে। হাঁহিত ফাটি পৰিছিল সন্ধ্যা। অনুৰণেও ফোঁপাইছিল। হাঁহি হাঁহিয়ে সন্ধ্যাই ক'লে,

"তোমাক যে এনেকুৱা বুলি ভবা নাছিলোঁ দেই। কম বদমাছ নে?"

অনুৰণৰো হাঁহি উঠিছিল,

"কোনে কৈছে চোৰাচোন। নিজেও পলাইছে, আকৌ মোক কয়।"

"ইচ, তুমি কোৱা কাৰণেহে মইও আহিলোঁ কিবা।"

"তেওবুলি আৰু, তোমাক এনেই কৈ চাইছিলোঁ হে মই।"

অনুৰণৰ কথাত আকৌ খিলখিলাই উঠিল সন্ধ্যা,

"বাই দা ৱে, থেংকচ দেই। বহুত টোপনি ধৰিছিল। শোঁ গে এতিয়া ৰুমত।"

লগে লগে অনুৰণে ক'লে,

"কি? তুমি কি ৰুম যাবা এতিয়া?"

"অঁ। শুবলৈকেতো ইমান ৰিস্ক লৈ পলাইছোঁ।"

"নালাগে যাব দিয়া না ৰুম।"

"তেন্তে কি কৰিম এতিয়া মই ইয়াত?"

Kaushik

সন্ধ্যাৰ প্ৰশ্নত অনুৰণে লাহেকৈ ক'লে,

"টাউন যাওঁ ব'লা।"

"কি? এই দুপৰীয়াখন টাউন গৈ কি কৰিবা হা তুমি?"

"ৰাধে শ্যামত কচুৰী খাম।"

আকৌ হাঁহিত থাকিব নোৱাৰা হ'ল সন্ধ্যা,

"হে ভগৱান, কিয় এনেকুৱা তুমি? ৰাধেশ্যামৰ কচুৰী খাবলৈ বাংক মাৰিছা তুমি?"

"তুমি যাবা নে নোযোৱা সেইটো কোৱা।"

অনুৰণে লগ ধৰিলে সন্ধ্যাইনো না কৰিব পাৰে নে? তাই নিজেও বিচাৰে অনুৰণ যেন প্ৰতিটো মূহুৰ্তত তাইৰ কাষতে থাকক।

"ঠিক আছে বাবা। ব'লা।"

লগে লগেই অনুৰণে তাৰ লগৰ জনলৈ ফোন কৰিলে। সি আহি বাইকৰ ছাবি দি গ'ল। মেইন গেটৰ পৰা বাইক লৈ ওলাই গ'ল সিহঁত।

দুপৰৰ বেলিটোৱে নিলাজ চুমা যাঁচিছিল সন্ধ্যাহঁতক। তেনে সময়তেই গৈ ৰাধেশ্যাম নামৰ তেজপুৰৰ সৰু হোটেলখনত সোমালগৈ সিহঁত। আকাৰত যদিও হোটেলখন সৰু, তথাপি ইয়াত দিনটোৰ সকলো সময়তে মানুহৰ ভিৰ থাকেই। তেজপুৰ ইউনিভাৰ্চিটী, তেজপুৰ কলেজ, দৰং কলেজ, ল কলেজ সকলোৰে যেন মিলনভূমি ৰাধেশ্যাম। কাৰণ সকলোৰে একেই, ৰাধেশ্যামৰ বিখ্যাত কচুৰী।

"এইয়া কঁপাল মোৰ। ভাবিছিলোঁ আৰাম চে শুম। এতিয়া এইয়া কচুৰী খাই আছোঁহি।"

এটা হাতত কচুৰী আৰু আনটোত গাখীৰ চাহকাপ লৈ সন্ধ্যাই ক'লে। কচুৰীটোত কামোৰ মাৰি অনুৰণে কৈছিল,

"দেখিছা, কিমান কষ্ট কৰি ইউনিভাৰ্চিটীৰ পৰা আনি কচুৰী খোৱাইছোঁ তোমাক।"

"বদমাছ।" বুলি সন্ধ্যাই চাহত ধোকা মাৰিছিল। ৰাধেশ্যামত খাই ওলাই এইবাৰ সন্ধ্যাই ক'লে,

Kaushik

"মই ফুচকা খাম।"

"শ্বপিং কম্প্লেক্সতে আছে।" বুলি অনুৰণ বাইকত উঠিল। সন্ধ্যাই মুখ ফুলাই ক'লে,

"কি আক' শ্বপিং কম্প্লেক্সত আছে। মই তেজপুৰ টাউনত খোৱাৰ কথা কৈছোঁ।"

"এতিয়া কচুৰী আৰু গাখীৰ চাহ খাই লৈ বাৰু ফুচকা খাই নি মানুহে?"

"অঁ খায়। মই খাওঁ। আনিছিলা নহয় মোক। এতিয়া খামেই।"

"প্ৰথমতে একোৱে নাখাই এতিয়া চা। ইটো খাম সিটো খাম।"

"কি? খাব নালাগে মানে? ঠিক আছে, মই অকলে গৈ খাই আহিম।"

অনুৰণে হাঁহি মাৰি ক'লে,

"হ'ব হ'ব। ড্ৰামা কুইন। উঠক বাইকত।"

সন্ধ্যাইও হাঁহি হাঁহি বাইকত বহিল। তাই জানে, তাই কিবা লাগে বুলি কোৱাৰ পাছত অনুৰণে না কোৱাৰ প্ৰশ্নই নুঠে। ফুচকাটো এটা বাহানাহে আছিল, আচল কথাটো হ'ল সন্ধ্যা আৰু অলপ সময় অনুৰণৰ লগত থাকিব খুজিছে।

তেজপুৰ টাউনত সোমাই ফুচকাৱালাটোৰ কাষতে ৰ'ল গৈ অনুৰণৰ বাইক। সন্ধ্যা নামি গৈ ফুচকা ল'লেই। অনুৰণে চাবি মাৰি ষ্টেণ্ড উঠাই মানে সন্ধ্যাৰ দুটা ফুচকা গ'লেই। মুখখন কথা ক'ব নোৱাৰাকৈ ফুলি আছে তাইৰ। তিনি নম্বৰটো লৈ তাই অনুৰণলৈ আগবঢ়াই দিলে।

"নাখাওঁ মই এইচব দেই।" অনুৰণে মুখ কোঁচাইছিল। সন্ধ্যাই লগে লগে জবৰদস্তি কৰি তাৰ মুখত ফুচকাটো ভৰাই দিলে। অনুৰণে তলকিবই নোৱাৰিলে। সি আঁতৰাই মানে ফুচকা গৈ মুখৰ ভিতৰত। বেচেৰাৰ অৱস্থা দেখি সন্ধ্যাৰ লগতে ফুচকাৱালাটোৱেও জোৰকৈ হাঁহিছে। সি হাঁহি হাঁহিয়ে ক'লে,

"বাইদ' , দাদাই ফুচকা খাৱাব পাই হ'বলা।"

"এখেতে ফুচকা বুলিয়ে নহয়, একোৱে খাই ভাল নাপায়।" পিছৰ ফুচকাটো লৈ সন্ধ্যাই ক'লে। তাইৰ কথা শুনি ফুচকাৱালাই চকুত দুষ্টালিৰ হাঁহি লৈ ক'লে,

"আপুনি অলপ সাহস দিব আৰু দাদাক। তেতিয়াহে।"

Kaushik

তাৰ কথাত এইবাৰ সন্ধ্যা আৰু অনুৰণ দুইটাই হাঁহি উঠিল। সন্ধ্যাই ক'লে,

"আমি পিছে এনেকৈ সাহস দিয়া টাইপৰ নহয় ভাইটি। তুমি ভুল বুজিছা।"

এইবাৰ আৰু হাঁহি উঠিল অনুৰণৰ। এই ছোৱালীজনী যে। পিছে সিহঁতক আচৰিত কৰি ল'ৰাটোৱে ক'লে,

"এই হ'ব আৰু। মানুহ দেখিলেই ধৰিব পাৰিটো। আপোনালোকে খুব ভাল পাই দুইজনে। লাহে লাহে হৈ যাব আৰু।"

বেলিটোৰ ৰংখিনি যেন সন্ধ্যাৰ দুগালত জমা হৈছিলহি। মূৰ ওপৰ কৰিব পৰা নাছিল তাই। লাজুকী বনৰ দৰে জঁই পৰিছিল। অনুৰণো যেন অপ্ৰস্তুত হৈছিল। কথা সলাবলৈকে সি ক'লে,

"কিমান হ'ল আমাৰ?"

"চল্লিছ টকা দাদা।"

বিছ টকীয়া নোটদুখন আগবঢ়াই অনুৰণ বাইকলৈ আহিল। মুখেৰে একো নমতাকৈ সন্ধ্যাও বহিলহি তাত। ফুচকা বেচা ল'ৰাটোৱে তাৰ অনুমান সঁচা বুলি বুজি পাই আকৌ চিঞৰিলে,

"দাদা, বঢ়িয়া মিলিছে আপোনালোক।"

তাৰ চিঞৰক তল পেলাই বাইকখন আগবাঢ়িছিল ইউনিভাৰ্চিটীৰ ফালে। গোটেই বাটটো একো মুখেৰে মতা নাই সন্ধ্যাই। একো কোৱা নাছিল অনুৰণেও। কিন্তু তেওঁ যেন সন্ধ্যাৰ অনুভৱ হৈছে সিহঁতে কথা পাতিছিল নীৰৱ ভাষাৰে। এৰা, নক'লেও বাৰু তাই খুলি। অনুভৱবোৰ নুবুজিবলৈ সিতো ইমান অবুজন নহয়। তেনেকৈয়ে আহি ইউনিভাৰ্চিটী পালেহি সিহঁত। যোৱাৰ সময়ত মাত্ৰ "আহোঁ" বুলি কৈয়ে সন্ধ্যা আঁতৰি আহিল। ওঁঠৰ কোণত অলপ ভাললগা ওলমি ৰৈছিল। এৰা, লাজৰ এই আৱৰণখনিৰ বাবেই চাগে প্ৰেমৰ অনুভূতি ইমান মনোৰম।

ফাগুণৰ এটা কোমল ৰাতিপুৱা। কাঞ্চনৰ গোলপীয়াৰে জিলিকি উঠিছে ইউনিভাৰ্চিটী কেম্পাচ। কুঁৱলী কমিছে যদিও পাতল প্ৰলেপ এটা যোৱাগৈ নাই। গাত পাতল চল এখন লৈ প্ৰাগজ্যোতিকা হোষ্টেলৰ পৰা ওলাই আহিছে অনুৰাধা। হাতত একাপ কফি।

সদায় ৰাতিপুৱা সোনকালে কফি একাপ খাই কেম্পাছটোত অলপ খোজকঢ়াটো তাইৰ অভ্যাস। এই যোৱা এসপ্তাহ মানৰ পৰা জুৰিও ওলাইছে তাইৰ লগত। ওলোৱা ঠিক নাই, অনুৰাধাই কওঁতে কওঁতে তাইও আহিব লৈছে। আজিও ওলাইছিল। পিছে অনুৰাধাক আগফালে ৰ'বলৈ কৈ জুৰি বাথৰুমত সোমাল। তাই আহে মানে এখোজ দুখোজকৈ আগবাঢ়িছে অনুৰাধা। এনেতে তাই দেখিলে সিহঁতৰ হোষ্টেললৈ সোমোৱা গলীটোৰ সমুখত থকা কাঞ্চনজোপাৰ তলত সৌজনী সন্ধ্যা। হাতত তাইৰ কেই পাহিমান কাঞ্চন। এই গলীটোৰ সমুখত থকা কাঞ্চন জোপাৰ সৰাফুলে গোটেই বাটটো গোলপীয়া কৰি পেলায়। পাছত কাম কৰা মানুহবোৰে আহি সাৰি দিয়ে যদিও এই ৰাতিপুৱা সোনকালে উঠাখিনিয়ে কাঞ্চনৰ গোলপীয়া দলিছাখন ভালকৈয়ে উপভোগ কৰিব পাৰে। সন্ধ্যাইও তাৰ পৰাই তুলি লৈছে ফুল। অনুৰাধা আহি সন্ধ্যাৰ ওচৰ পালেহি,

"সন্ধ্যা, ৰাতিপুৱাই ফুল বুটলি আছা যে?"

সন্ধ্যাই ঘূৰি চালে,

"ঐ অনুৰাধা, গুড মৰ্ণিং। এনেই এপাক ফুৰোঁ বুলি আহিলোঁ। আজিকালি ট্ৰাই কৰিছোঁ সোনকালে উঠোঁ বুলি।"

"ভালেই কৰিছা। পিছে ফুল কালৈ? কৃষ্ণক দিবাগৈ নেকি?"

অনুৰাধাৰ কথাত হাঁহি উঠিল সন্ধ্যাৰ। তাই কৃষ্ণমূৰ্তিটোলৈ মাজে মাজে ফুল নিয়ে। সেইটো লৈ তাইক "কৃষ্ণলৈ ফুল ল'লি নেকি" বুলি সকলোৱে জোকাই। হয়তো অনুৰাধাইও কথাটো গম পালে কাৰোবাৰ পৰা। সন্ধ্যাই একো নকওঁতেই অনুৰাধাই ক'লে,

"তুমি ৰাধাকৃষ্ণক খুব ভাল পোৱা ন?"

সৰি পৰা কাঞ্চন এপাহ বুটলি লৈ সন্ধ্যাই মূৰ দুপিয়ালে। অনুৰাধাই আকৌ ক'লে,

"মোৰ কিন্তু ৰুক্মিণীকহে ভাল লাগে। যদি ভাগ্যত পত্নীৰ মৰ্যাদা নাইয়ে, তেন্তে ভাল পাই কি লাভ?"

সন্ধ্যা শান্ত হৈ ক'লে,

Kaushik

"ভালপোৱাত লাভ লোকচান নাথাকে অনুৰাধা। ভাল পালে সদায় অপৰিসীম ভাৱে পাব লাগে। সীমা আৰু পৰিধি মাটিৰহে থাকে হৃদয়ৰ নহয়।"

কিন্তু অনুৰাধাই যেন মানি ল'ব খোজা নাই,

"কিন্তু সন্ধ্যা, প্ৰেম ভালপোৱাত চোন অকল বিৰহহে থাকে। যেনেকৈ ৰাধা কৃষ্ণৰ আছিল। তাতকৈ বিবাহেই ভাল।"

সন্ধ্যাই মিচিকিয়া হাঁহিৰে ক'লে,

"কোনে কৈছে বিৰহ অকল প্ৰেমত থাকে বুলি? যদি সেয়ে হ'ল হয়, ৰাম আৰু সীতাৰ সংসাৰ ইমান কষ্টকৰ হ'ল হয় নে? মহাদেৱ আৰু সতীৰ দেখোন বিবাহৰ পাছতো বিৰহ হৈছিল। গতিকে বিৰহ অকল ৰাধাকৃষ্ণৰ কেনেকৈ?"

সন্ধ্যাৰ যুক্তিত দুৰ্বল হৈ পৰা অনুৰাধাই শেষ চেষ্টা কৰিলে,

"হ'লেও যাৰ ভাগ্যত আন কোনোবা আছে, তেওঁৰ লগত প্ৰেম কৰি কি হ'ব? গতিকে ৰুক্মিণী হোৱাহে ভাল।"

সন্ধ্যাই এইবাৰ হাঁহি হাঁহি কৈছিল,

"ৰুক্মিণী নহয়, ৰাধা হোৱা,

যদি হৃদয়তেই নাই, ভাগ্যত কিয় ৰোৱা?"

অনুৰাধাই আচৰিত হৈ চাইছিল সন্ধ্যালৈ। কি আচৰিত এই ছোৱালীজনী। মাত্ৰ দুশাৰী বাক্যত ইমান ডাঙৰ কথা এটা বুজাই দিলে।

"আহোঁ দিয়া অনুৰাধা" বুলি সোৱণশিৰীৰ ফালে খোজ ল'লে সন্ধ্যাই। এনেতে জুৰি আহি অনুৰাধাৰ কাষ পালেহি। সন্ধ্যাক দেখিছিল তাই। ওচৰ পাইয়ে জুৰিয়ে সুধিলে,

"সন্ধ্যা দেখোন। কি কৰি আছে তাই?"

"খোজ কাঢ়িবলৈ আহিছিল হেনো।" অনুৰাধাই ক'লে।

"এৰা, এতিয়া ৰাতিপুৱা সোনকালে উঠিব। তেতিয়াহে টোপনি ধৰি ক্লাছ বাংক মাৰিব পাৰিব।"

Kaushik

জুৰিৰ কথাত হাঁহিছিল অনুৰাধাই। সিদিনা সন্ধ্যাই ক্লাছ বাংক মাৰোঁতে খঙত গালি পাৰিছিল জুৰিহঁতে। সন্ধ্যাই বাংক মৰাৰ কাৰণে নহয়, লগত অনুৰণকো লৈ যোৱাৰ বাবে।

"কিজানি সিহে লগ ধৰিছে সন্ধ্যাক।" অনুৰাধাৰ কথাত জুৰিয়ে চিঞৰি উঠিছিল,

"হ'বই নোৱাৰে। অনুৰণ তেনেকুৱা ল'ৰাই নহয় যে সি কোনোবা ছোৱালীক বাংক মাৰিবলৈ লগ ধৰিব। এইহে ফচাইছে তাক। প্ৰথমতে অভিমন্যু আৰু এতিয়া অনুৰণ।"

প্ৰিয়াইও হয়ভৰ দিছিল,

"ঠিক কৈছ। ইফালে মহাৰাণীক একো ক'বও নোৱাৰি নহয়। বডিগাৰ্ড অভিমন্যু শৰ্মা আহি ওপৰতে পৰেহি।"

"আৰু চাৰিমাহ হে। চাম নহয়, অভিমন্যু যোৱাৰ পাছত কোন থাকে লগত।"

পৰীয়েও একে সুৰতে সুৰ মিলাইছিল। মুখেৰে একো মতা নাছিল তেতিয়া অনুৰাধাই। সেই তেতিয়াৰে পৰা সন্ধ্যাৰ ওপৰত জুৰিহঁতৰ খং উঠিয়ে আছে। এতিয়াও তাইক দেখি সেইটোৱেই মনত পৰিল।

"ঐ, কি কথা পাতিলিনো তাইৰ লগত?" থৰ হৈ থকা অনুৰাধা সামান্য ভাৱে জোকাৰি জুৰিয়ে সুধিলে। অনুৰাধাই তাইলৈ নোচোৱাকৈয়ে ক'লে,

"সন্ধ্যা ছোৱালীজনী সঁচাই বেলেগ জুৰি। আজি বুজি পালোঁ অনুৰণে আচলতে কি বিচাৰি পাইছে সন্ধ্যাৰ মাজত।"

জুৰিয়ে একো নুবুজি আকৌ সুধিলে,

"মানে?"

"মানে, অনুৰণক পাবলৈ হ'লে প্ৰথমে সন্ধ্যা হ'ব পাৰিব লাগিব। আৰু মই সন্ধ্যা হ'ম।"

কথাটোৰ লগত লগতে অনুৰাধাৰ ওঁঠৰ ফাঁকেৰে বৈ অহা বিশেষ হাঁহিটোৰ অৰ্থ বুজি নাপালে জুৰিয়ে।

সোৱণশিৰীত সন্ধ্যা তেতিয়া তাইৰ কানাইক ফুলৰে সজোৱাত ব্যস্ত। লগতে মুখেৰে গুণগুণাই আছিল "ৰাধাকৃষ্ণ" ছিৰিয়েলখনৰ গানটো,

Kaushik

"Tum prem ho

Tum preet ho

Meri baasuri ka geet ho

Tum prem ho tum preet ho

Manmeet ho Radha

Mere manmeet ho...."

(আগলৈ)

#নিৰিবিলি

Part 102

"And the second group is Patkai and Subansiri"

"আকৌ?"

"পাটকাইৰ লগত আকৌ সোৱণশিৰী?"

"উ-- হ'ল আৰু, আকৌ বিহু নাটক চব নিব।"

"নহ'ব দেই, আগতে এবাৰ সোৱণশিৰী পৰিছেই পাটকাইৰ লগত।"

"হাৰে সেয়া তিনি বছৰ আগৰে কথা।"

নানা জনৰ নানা মত। ইউনিভাৰ্চিটীত আকৌ ভাৰ্চিটী উইকৰ ভৰপক। আজি লটাৰী হৈছে কোন কেইটা গাৰ্লছ আৰু বয়জ হোষ্টেলৰ পেয়াৰিং হৈছে তাকে চাবলৈ ডি এচ ডব্লিউৰ অফিচত ভিৰ কৰিছেহি বহুতে। প্ৰথমতেই কাঞ্চনজংঘা আৰু পবিতৰা পৰিছে। তাৰ পাছতেই পাটকাই আৰু সোৱণশিৰীৰ নাম একেলগে পৰাৰ ঘোষণাটো দিয়াৰ লগে লগেই বহুতৰ আপত্তি। বৰদৈচিলাৰ প্ৰিফেক্ট অনিমাই চিঞৰি উঠিল,

"আকৌ? নহ'ব, আকৌ পাটকাই আৰু সোৱণশিৰীক একেলগে দিয়া নহ'ব।"

অনিমাৰ তেনেকৈ কোৱাৰো কাৰণ আছে। বেচেৰীৰ প্ৰেমিক পলাশ পাটকাইৰ প্ৰিফেক্ট। তাই আশা কৰি আছিল এইবাৰ যেন পাটকাইৰ লগতে পৰে। কিন্তু এতিয়া সোৱণশিৰীৰ লগত পাটকাইৰ নাম অহাত খং উঠিছিল অনিমাৰ। শেষত পলাশেও ক'লে,

Kaushik

"চবেই কৈছে যেতিয়া আকৌ এবাৰ কৰি দিয়াই ভাল।"

সোৱণশিৰীৰ প্ৰিফেক্ট আছিল নন্দিনী। সন্ধ্যাতকৈ সৰু তাই। এইবোৰৰ বিশেষ আও ভাও নোপোৱাৰ বাবে সন্ধ্যাও তাইৰ লগতে আহিছিল। সকলোৱে কিবা কিবি কৈ থকাৰ মাজতে নন্দিনীয়ে সন্ধ্যাক সুধিলে,

"সন্ধ্যা বা, কি কৰোঁ?"

"একো নাই। আকৌ এবাৰ কৰিবলৈ দিয়া লটাৰী।"

সকলোৰে মতামত লৈ আকৌ এবাৰ লটাৰী কৰা হ'ল। কিন্তু সকলোকে আচৰিত কৰি এইবাৰ আকৌ তিনি নম্বৰত সোৱণশিৰী আৰু পাটকাই পৰিল। এইবাৰ তাত থকা চবৰে হাঁহি উঠিল,

"মুঠতে সোৱণশিৰীয়ে পাটকাইক নেৰে। কথা সিমানেই।"

উপায় নাপাই মানি ল'লে সকলোৱে। ভাৰ্চিটী উইকৰ টীমৰ লগতে দিন বাৰো ঠিক হ'ল। সকলোৰে মুখে মুখে বাগৰিল,

"এইবাৰ আকৌ সোৱণশিৰী আৰু পাটকাই"

কথাটো হোষ্টেলত শুনিয়েই অভিমন্যু জঁপিয়াই উঠিছিল। লগে লগে সন্ধ্যালৈ ফোন লগালে সি,

"এইবাৰ আমি আকৌ একেলগে বে।"

"তাকেই, মোৰে ফুটা কপাল। তোক প্ৰেকটিছত দেখি থাকিব লাগিব আৰু।"

সন্ধ্যাৰ কথাত হাঁহি হাঁহি অভিমন্যুয়ে ক'লে,

"এইবাৰ এটা ৰিকুৱেষ্ট আছে তোলে।"

"কি বা?"

"এইবাৰ নাটক কৰ না তই।"

অভিমন্যুৰ কথা শুনি চিঞৰি দিলে তাই,

"কি? নাটক? বলিয়া হৈছ নি তই? মই বিহু নাচিম এনেও। যোৱা বছৰো প্ৰজেক্ট আছিল বুলি নানাচিলোঁ।"

Kaushik

"তই আৰু এবছৰ পাবিয়েই চোন। তেতিয়া নাচিবি বিহু। এইবাৰ নাটক কৰ না। মোৰতো এইবাৰেই শেষ। তোৰ লগত এখন নাটক শেষ বাৰৰ কাৰণে কৰি যাবৰ মন আছিল।"

সন্ধ্যাই নিশ্চুপ হৈ হুঁমুনিয়াহ পেলাইছিল অভিমন্যুৰ কথাত। এৰা, তাৰ যে এইবাৰেই শেষ। যোৱা তিনিবছৰে প্ৰতিবাৰেই অভিমন্যু নহ'লে পাটকাইৰ ভাৰ্চিটী উইক নহয়েই। প্ৰতিবাৰেই সি জিকাইও আহিছে পাটকাইক। পিছে এইবাৰৰ পৰা যে সি আৰু নাথাকিব। তাৰ এইকণ হেঁপাহক নেওচা দিব নোৱাৰে সন্ধ্যাই। তাই মানি ল'লে, এইবাৰ তাই নাটকেই কৰিব। অভিমন্যুৰ লগত শেষ বাৰলৈ কে বি আৰৰ মঞ্চখনত কল্পনা হৈ জীয়াব।

"তই নাটক কৰিবি বোলে? পাৰিবি জানো?"

"মিৰিজীয়ৰীত সেই দুটা ডাইলগ মাতোঁতেই তই নাটক কৰিব পৰা হ'লি নে?"

ক্লাছত কথাটো ওলাতেই জুৰিহঁতে সন্ধ্যাক সুধিলে। তাই হাঁহিৰে কৈছিল,

"পাৰোঁ নোৱাৰো বাদ দে। অভিয়ে বিচাৰিছে যেতিয়া কৰি দিওঁ আৰু।"

পৰীয়ে লগে লগে ঠাট্টাৰ সুৰত ক'লে,

"তাকেই তাকেই। বেচেৰাটো যোৱাৰ পাছত আৰু ক'ত তোমাৰ এইবোৰ কৰা হ'ব? তাতকৈ এতিয়াই কৰি লোৱা আৰু যিমান পাৰা।"

প্ৰিয়াহঁতে গিৰ্জনি মাৰি হাঁহিছিল। সন্ধ্যাই একো নক'লে তাইক। পৰীৰ কথাৰ উত্তৰ দি ওচৰতে থকা অনুৰাধাই সুধিলে,

"পিছে পৰীয়ে কি কৰিবা ভাৰ্চিটী উইকত? নাচিবা নে নাটক?"

"নাই, মই সেইবোৰ নাজানো নহয়।"

"অহ আটছা। সেই কাৰণে আনক এনেকৈ ঠাট্টা কৰি ফুৰিবলৈ সময় পোৱা। এৰা, তোমালোকৰে ভাল দিয়া।"

অনুৰাধাই খুব শান্ত সুৰেৰে কোৱা কথাষাৰত আকৌ হাঁহি উঠিল চবেই। পৰীয়ে "আহি আছোঁ" বুলি আঁতৰি গ'ল। জুৰিহঁতো আঁতৰি যোৱাৰ পাছত অনুৰাধাই সন্ধ্যাক ক'লে,

Kaushik

"এইবোৰ কথাত কাণ নিদিবা সন্ধ্যা। অল দা বেষ্ট।"

সন্ধ্যাই চাই ৰৈছিল অনুৰাধা যোৱাৰ ফালে। সঁচাই বৰ মৰমিয়াল ছোৱালীজনী। এই লগ পোৱা এবছৰো নোহোৱাকৈ অনুৰাধাই তাইক ইমান মৰম কৰে। অথচ প্ৰিয়া জুৰিহঁতে আজিকালি প্ৰতিটো কথাতেই অকল ঠাট্টাৰ সুৰ লগাই ফুৰে। এৰা, সময়ৰ লগে লগে মানুহৰ মুখা বোৰ নিজে নিজেই খোল খায়।

ভাৰ্চিটী উইকৰ যুঁজবোৰ আৰম্ভ হৈ গৈছিল। অভিমন্যু বেচেৰা টাকুৰি ঘূৰাদি ঘূৰিছে। এফালে স্কুলৰ ক্লাছ, ইফালে ডিপাৰ্টমেণ্টত নিজৰ ক্লাছ। আনফালে আকৌ হোষ্টেলৰ বিভিন্ন কাম। আগতে সি জুনিয়ৰ আছিল। গতিকে ছিনিয়ৰে যি কৰিবলৈ কয় সেইয়া কৰিলেই হৈছিল। কিন্তু এতিয়া ছিনিয়ৰ হোৱাৰ বাবে চবেই আহি তাকেই সোধেহি,

"অভিমন্যু দা, এইটো কি কৰোঁ?"

"দাদা, অমুকক লগ কৰি আহিব লাগিছিল নহয়।"

মুঠতে নামত নহ'লেও কামে কাজে অভিমন্যু পাটকাইৰ প্ৰিফেক্টেই হৈ আছে। দহ বন কাটি কৰিও নতুন ল'ৰাবোৰৰ অডিচন লোৱা, নাটকৰ বাবে ভাল স্ক্ৰীপ্ট বিচৰা সকলো কাম সিয়ে কৰি ফুৰিছে। অনুৰণে যিমান পাৰে ঘূৰি দিছে তাৰ লগত। অনুৰণৰ এই ভাৰ্চিটী উইকত বৰ বেছি উছাহ নাই যদিও অভিমন্যুৰ যাতে অসুবিধা নহয়, তাৰবাবেই সি তাৰ লগে লগে আছে।

সিদিনাও অভিমন্যুৰ লগত ৱাৰ্ডেন ছাৰৰ কোৱাৰ্টাৰলৈ গৈছিল অনুৰণ। হোষ্টেলৰ কিবা কথা লৈ। ছাৰৰ তাতে অভিমন্যুক থৈ ক্লাছ থকাৰ বাবে অনুৰণ উভতি আহিল। ইয়াততো আৰু ভাৰ্চিটী উইক বুলি ক্লাছ বন্ধ হোৱাৰ কোনো চাঞ্চেই নাই। সকলো সলনি হ'লেও এইটো নহ'ল আৰু। উপায়ো নাই। তেনেকৈয়ে চলি আহিছে চব। অনুৰণ গৈ ডিপাৰ্টমেণ্টৰ বিল্ডিংটোৰ সমুখত পাওঁতেই দেখিলে ভিতৰৰ পৰা সন্ধ্যা ওলাই আহিছে। তাই ওচৰ পোৱাত অনুৰণে সুধিলে,

"ক্লাছ নকৰি ওলাই আহিলা যে?"

"তোমাক কথা এটা ক'ব আছিল।" সন্ধ্যাই অলপ ছিৰিয়াছ হৈ ক'লে। অনুৰণে যেন বুজি পোৱা নাই,

Kaushik

"কি কথা অ' ছোৱালী? একদম ক্লাছ এৰি আহি গৈছা।"

"I think I should tell you those three magical words."

সন্ধ্যাৰ কথাত যেন অলপ নাৰ্ভাছ হ'ল অনুৰণ। থ্ৰী মেজিকেল ৱৰ্ডছ? তাৰমানে? কেনেবাকৈ সন্ধ্যাই--। ভাবি থাকোঁতেই আকৌ সন্ধ্যাই ক'লে,

"কি হ'ল? ক'ব লাগিব নে নালাগে?"

"নাই, একো নাই। কোৱা কোৱা। কি ক'ব লৈছিলা।"

সন্ধ্যা এইবাৰ অলপ আগবাঢ়ি আহিল,

"এক্সুৱেলী অনুৰণ--- মানে আই ৱাণ্ট টু চে ডেট--"

"কোৱা অ', হিন্দী ছিৰিয়েল টাইপ কিয় কৰি আছা?" অনুৰণৰ যেন ধৈৰ্য নাছিল। সন্ধ্যাই এইবাৰ তাৰ আৰু কাষলৈ আহি কাণে কাণে ক'লে,

"The three magical words are---"

অনুৰণে চকুহাল জঁপাই দিছিল। ভয় হৈছিল, বুকুৰ ঢপঢপনি কিজানি সন্ধ্যাই শুনা পায়। সন্ধ্যাই কৈছিল,

"The three magical words are--- Class Is Cancelled"

কথাটো কৈয়ে দৌৰি আঁতৰিছিল সন্ধ্যা। লগত লৈ গৈছে তাইৰ খিলখিলিয়া হাঁহিৰ ঢৌবোৰ। অনুৰণৰো হাঁহি উঠিল,

"এনে বদমাছ এই ছোৱালীজনী।"

হাঁহি হাঁহি সন্ধ্যা পুলটোৰ ফালে গৈছিলগৈ। অনুৰণো চাইকেলখন নি সেইখিনিতে ৰখালে,

"উঠা। অকল দুষ্টালি চবতে।"

"মইহে দুষ্ট। ৱাহ, কি মন দি শুনিছে একদম।"

সন্ধ্যা পুলটোৰ ওপৰত উঠি লৈছিল।

"আৰে, মানুহে কিবা কথা আছে বুলি ক'লেতো শুনিমেই নহ? এতিয়া এইবোৰ এৰা আৰু চাইকেলত উঠা।"

Kaushik

সন্ধ্যা আহি তাৰ চাইকেলত বহিলহি। তাইক সোৱণশিৰীৰ আগত নমাই থৈ অনুৰণ পাটকাইৰ ফালে আগবাঢ়িল। Essential পাৰ হওঁতেই কাৰোবাৰ মাত শুনি ৰৈ গ'ল সি।

"অনুৰ--ণ"

ঘূৰি চাই দেখে প্ৰাগজ্যোতিকা হোষ্টেলৰ ফালে যোৱা গলীটোৰ মুখতে অনুৰাধা ৰৈ আছে। ৰাস্তাৰ কাষৰ কাঞ্চনজোপাৰ পৰা সৰাফুল বুটলি আছে তাই। অনুৰণ আহি তাইৰ কাষতে ৰোৱাত অনুৰাধাই ক'লে,

"সৰাফুল বুটলি আছিলোঁ। মই মানে ফুল বহুত ভাল পাওঁ।"

অনুৰণে অন্যমনস্ক হৈ সুধিলে,

"অঁ, ক্লাছলৈ নগ'লায়ে নি?"

"নাই, জুৰিয়ে মেমক ফোন কৰোঁতেই ক'লে ক্লাছ নলয় বুলি।"

"ঠিক আছে, যাওঁ দিয়া মই" বুলি অনুৰণ যাবলৈ ওলাল। অনুৰাধা থিয় হৈ আছিল তাতে। চাইকেলৰ পেডেল পাত মাৰিবলৈ লৈ অনুৰণে এবাৰ অনুৰাধাৰ ফালে চাই ক'লে,

"ঐ, এইফুল পাহত এইটো কিবা পোক পৰি আছে চোন।"

"কি? কোনটো কোনটো?" বুলি হাতত থকা গোটেই ফুলখিনি মাটিত পেলাই ভৰিৰে মোহাৰি পেলালে অনুৰাধাই। অনুৰণে হাঁহি হাঁহি তাইলৈ এবাৰ চাই চাইকেল আগবঢ়ালে পাটকাইৰ ফালে। লাজ আৰু অপমানত অনুৰাধা উভতি গৈছিল প্ৰাগজ্যোতিকালৈ।

"তই নাটক কৰিবি এইবাৰ"

ময়ূঁৰৰ ৰুমৰ দুৱাৰখন খুলিয়েই কৈ উঠিল অভিমন্যুয়ে। বিচনাতে পৰি কিতাপ এখন পঢ়ি থকা ময়ূঁৰে একো বুজি নাপাই সুধিলে,

"মানে?"

অভিমন্যুয়ে বিচনাত আৰামত বহি ল'লে,

"মানে আৰু কি? তই এইবাৰ ভাৰ্চিটী উইকৰ নাটকত পাৰ্ট ল'ব লাগিব।"

Kaushik

"কি? কাম নাই আৰু? নোৱাৰোঁ দেই মই এইবোৰ।"

ময়ূঁৰে কিতাপখন জপাই থৈ উঠি বহিল। অভিমন্যুয়ে আকৌ ক'লে,

"কি আকৌ নোৱাৰোঁ? পাৰিবি। বঢ়িয়া স্ক্ৰীপ্ট এখন পাইছোঁ এইবাৰ। তই কৰিও ভাল পাবি। আৰু মইতো আছোঁৱেই। তাতে এইবাৰ সন্ধ্যাইও কৰিব।"

"না না। মই নোৱাৰোঁ।"

ময়ূঁৰৰ কথাত অভিমন্যুয়ে তাৰ হাতত ধৰি কৈছিল,

"প্লিজ ময়ূঁৰ, অকল মোৰ কাৰণে কৰ। প্লিজ।"

উপায় নাই। অভিমন্যুৰ কথা ময়ূঁৰে পেলাব নোৱাৰে। অগত্যা সি মান্তি হৈ সুধিলে,

"কি নাম নাটকৰ?"

অভিমন্যুয়ে গম্ভীৰ মাতেৰে ক'লে,

"যাজ্ঞসেনী"

"যাজ্ঞসেনী? মানে দ্ৰৌপদীৰ ওপৰত কিবা?"

"য়েছ। দ্ৰৌপদীক লৈয়ে কৰা হ'ব। আৰু তই হ'বি--"

"ভীম?"

অভিমন্যুৰ কৈ নহওঁতেই ময়ূঁৰে ক'লে। তাৰ কথাত হাঁহিত ফাটি পৰিল অভিমন্যু,

"এইটো চেহেৰা লৈ ভীম হঁৱ তই হা?কেটেঙা।"

"এইচব কৈ থাকিলে নকৰোঁ যা।"

"উস ৰাম। নকওঁ দে। তই ভীম নহয়। তই হ'বি শ্ৰীকৃষ্ণ। আৰু সন্ধ্যা হ'ব যাজ্ঞসেনী দ্ৰৌপদী।"

অভিমন্যুয়ে গম্ভীৰ মাতেৰে ক'লে। ময়ূঁৰ মান্তি হ'ল। সেইদিনাৰ পৰাই যুদ্ধংদেহি প্ৰক্ৰিয়াৰে আৰম্ভ হৈছিল "যাজ্ঞসেনী"ৰ আখৰা।

"কি? দ্ৰৌপদী? না, মই ৰাধা হ'ম।"

Kaushik

সন্ধ্যাই কথাটো শুনিয়েই থেনথেনাই উঠিল। আজিৰ পৰা নাটকৰ প্ৰেকটিছ আৰম্ভ হৈছে। পাটকাইৰ কমন ৰুমত গোট খাইছেহি সিহঁত। তাতেই অভিমন্যুয়ে নাটকখন বুজাই চৰিত্ৰবোৰ ভগাই দিছিল। সন্ধ্যাৰহে আপত্তি। তাই দ্ৰৌপদী নহয়। অভিমন্যুয়ে ওচৰলৈ গৈ বুজালে,

"এইখন দ্ৰৌপদীৰ নাটকত ৰাধা ক'ৰ পৰা আহিব আকৌ?"

"কিন্তু অভি, ইমান ষ্ট্ৰং কেৰেক্টাৰ এটা মই নোৱাৰিম নেকি?"

"পাৰিবি। মই শিকাম নহয় তোক।"

অভিমন্যুয়ে আশ্বাস দিছিল। লাহে লাহে আৰম্ভ হৈছিল প্ৰেকটিছ। মাজতে সিহঁত বিহুৰ প্ৰেকটিছ চাবলৈও গৈছিল। এইবাৰ আকৌ পুৰণি দলটো লগ হৈছে। আগৰ বহু কেইটা নাই যদিও যি কেইজন আছে সিহঁতে মিলিয়েই সেই আগৰ বেদান্ত দাই গোৱা বিহুটো জুৰিছিল। সকলোৰে কোৱাত সন্ধ্যাইও এপাক নাচিছিল,

"বৰষা পথাৰত অ' ভনীটি ৰহেদৈ

হালে বাই আছিলোঁ এহালি দমৰা লৈ

চাহ দিব যাবা দেই অ' ভনীটি ৰহেদৈ

লাঁৱনি ওঁঠতে মিচিকিয়া হাঁহি লৈ"

অভিমন্যুয়ে যেন এইবাৰ প্ৰাণ ভৰি উদযাপন কৰিছিল প্ৰতিটো পল। আঁজলি ভৰাই বুটলিছিল স্মৃতিৰ সৰাফুল। প্ৰেকটিছত মাজে মাজে সন্ধ্যা আৰু কেতিয়াবা ময়ূঁৰো আৱেগিক হৈ পৰে অভিমন্যুৰ যোৱাৰ কথা ওলালে। কিন্তু অভিমন্যুয়ে লগে লগে ৰসাল কথাৰে পৰিৱেশটো পাতলাই। কিন্তু সন্ধ্যাই বুজে, বাহিৰে হাঁহিলেও বুকুত এটি শিল কঢ়িয়াই ফুৰিছে সি। বিদায় নামৰ এটা গধূৰ শিল।

চাওঁতে চাওঁতে নাটক পালেহি। প্ৰেকটিছ জোৰদাৰ হৈছিল যদিও অলপ ভয়ে ভয়ে আছিল সন্ধ্যা। অভিমন্যুয়ে বহুত আশা কৰিছে তাইৰ পৰা। তাই পাৰিবনে নাই বাৰু? পুৰস্কাৰ নাপালেওঁ অন্ততঃ তাৰ মনে বিচৰা ধৰণে নাটকখন হ'লেও যথেষ্ট।

Kaushik

ভাৰ্চিটী উইকৰ নাটক বুলি ক'লেই কেবিআৰ সদায় ফুল। এইবাৰো তাৰ ব্যতিক্ৰম নহয়। সময়তকৈ আগেয়েই মানুহে জনঅৰণ্য হৈ আছে অডিটৰিয়াম। গ্ৰীণৰুমত দ্ৰৌপদীৰ সাজত বহি থকা সন্ধ্যাৰ ওচৰ চাপি কৈছে অভিমন্যুয়ে,

"তোতকৈ ভালকৈ দ্ৰৌপদীৰ চৰিত্ৰ আন কোনেও কৰিব নোৱাৰে সন্ধ্যা। মনত পেলা ফাৰ্ষ্ট ছেমিষ্টাৰৰ কথা।"

সন্ধ্যাৰ মুখখন কঠোৰ হৈ পৰিছিল। চকুত জ্বলি উঠিছিল প্ৰতিবাদৰ জুই। অভিমন্যুৰ ভৰি চুই সেঁৱা কৰি কৈছিল তাই,

"তোক ফেয়াৰৱেল গিফ্ট আজিয়ে দিম মই।"

অভিমন্যুয়ে হাঁহিৰে আঁকোৱালি ধৰিছিল তাইক।

"এইয়া মঞ্চত পাটকাই ছাত্ৰনিৱাস আৰু সোৱণশিৰী ছাত্ৰীনিৱাসৰ নিবেদন যাজ্ঞসেনী"

ঘোষণাৰ লগে লগেই আঁৰ কাপোৰ আঁতৰিল। ইফালে দৰ্শকৰ চিঞৰ। নেপথ্যত ভাঁহি উঠিছে তোষপ্ৰভা কলিতা "দ্ৰৌপদী" কবিতাটোৰ শাৰীকেইটা,

"পৃথিৱীয়ে জানে মই ৰাজকন্যা ৰাজৰাণী,

গৰবিনী কৃষ্ণা যাজ্ঞসেনী,

কোনেও নাজানে হায়,

মই এক নাৰী অভাগিনী"

লগে লগে মঞ্চত পোহৰ। এফালে দ্ৰৌপদীৰ ৰূপত সন্ধ্যা। আনফালে শ্ৰীকৃষ্ণৰ ৰূপত ময়ূৰ। আৰম্ভ হৈছে সংলাপ,

দ্ৰৌপদী : "সখা, আজি হাতত ৰাখী নিপিন্ধা?"

শ্ৰীকৃষ্ণ : "ৰাখীৰ অধিকাৰ নাই মোৰ কৃষ্ণা। এই কলিকালত না ৰাখীক মৰ্যাদা দিব পাৰোঁ না কৰ্তব্য ল'ব পাৰোঁ। পাষাণৰ দিনত আজি অচল মোৰ সুদৰ্শন।"

দ্ৰৌপদী : "এনে বচন নক'বা গোবিন্দ। তোমাৰ অপেক্ষাত আজি কত নাৰীগণ। হে দীনবন্ধু, আকৌ এবাৰ জনম লোৱা। প্ৰতিষ্ঠা কৰা ধৰ্মৰ ভাঙি পৰা খুঁটি। আজিও সপোনত দেখোঁ জানা, সেই ভয়ানক পাশাৰ গুটি।"

Kaushik

লগে লগেই নৃত্যৰ মাজেৰে অট্টহাস্য কৰি দুঃশাসনৰ প্ৰৱেশ। ছাঁ পোহৰৰ খেলাত কৃষ্ণ আঁতৰি যায়। দুঃশাসন আৰু দ্ৰৌপদীৰ কিছু নৃত্য। নাটকখন ফিজিকেল ড্ৰামা আছিল, সেইবাবে সংলাপৰ সৈতে কিছু নৃত্য তথা ভাৱ ভংগীও সমানে জড়িত। আকৌ সংলাপ,

দ্ৰৌপদী : "নাৰীৰ সন্মানক লৈ খেলা নকৰিবি দুশাসন।"

দুঃশাসন : "হা হাঃ সন্মান! নাৰীৰ এটাতেই সন্মান সেয়া হৈছে পুৰুষৰ কামনাত। আহ ঐ সুন্দৰী, আজি ৰাজসভাই চাওঁক তোৰ উলংগ শৰীৰ।"

লগে লগে দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ ভয়ংকৰ দৃশ্য। "সখা" বুলি চিঞৰি হাতযোৰ কৰে সন্ধ্যাই। লগে লগে মঞ্চৰ দুইফালৰ পৰা দুজন ল'ৰাই কাপোৰ টানি আনে আৰু দ্ৰৌপদীক বেৰি দিয়ে। কাপোৰৰ আঁতৰত থকাৰ বাবে ল'ৰাদুজনক দৰ্শকে দেখা নাপায়। গোটেই মঞ্চ ভৰি যায় ৰঙা কাপোৰেৰে। দৰ্শকৰ চিঞৰ আৰু উল্লাস। লগে লগে দ্ৰৌপদীৰ গৰ্জন,

"পঞ্চ স্বামী মোৰ, পৰিবাৰৰ জ্যেষ্ঠজন বিৰাজমান, গুৰু আচাৰ্য আৰু পিতামহ থাকিও এইয়া কূলবধুৰ সন্মান! ছিহ কুৰুকূল ছিহ। নিৰ্লজ্জ্ব পাষাণ এই ৰাজসভালৈ মোৰ অভিশাপ যদি এই পাঞ্চালী সঁচাকৈ পৱিত্ৰ হয়, তেন্তে এই কুৰুকূল সবংশে যাব নিপাত। নাৰী অগ্নিৰ দৰে। মন্দিৰত ৰাখিলে বন্তি। কিন্তু স্পৰ্শৰে যিয়ে কৰে নাৰীৰ সৈতে খেলা, সিয়ে দেখিব নাৰীৰ বিধ্বংসী মেলা।"

তাৰ মাজতেই আকৌ ছাঁ পোহৰৰ খেলৰ মাজত দুঃশাসন আঁতৰি যায়। মঞ্চত পুনৰ শ্ৰীকৃষ্ণ আৰু দ্ৰৌপদী।

দ্ৰৌপদী : "কেশৱ, তুমি নথকা হ'লে এই শৰীৰ আজি এই অৱস্থাত নাথাকিল হয়।"

শ্ৰীকৃষ্ণ : "নহয় পাঞ্চালী, ৰক্ষা মই কৰা নাছিলোঁ তোমাক। তোমাক ৰক্ষা কৰিছিল তোমাৰ ধৰ্মই, তোমাৰ সৎ কৰ্মই।"

দ্ৰৌপদী : "তেন্তে আজি ক'ত সেই ধৰ্ম মূৰাৰি? ক'ত? শত ধৰ্ষিতা নাৰীৰ আৰ্তনাদেও কঁপোৱা নাই নে তোমাৰ পাষাণ হৃদয়? কিয় ৰক্তপান নহয় আজি শত শত দুঃশাসনৰ? কিয় শত দ্ৰৌপদীৰ কেশ আজিও উন্মুক্ত?"

আকৌ এবাৰ ছাঁ পোহৰৰ খেলা। এইবাৰ মঞ্চত থাকে ভীম আৰু দুঃশাসন। নৃত্য আৰু ভংগীমাৰ লগে লগে সংলাপো চলি থাকে,

Kaushik

ভীম : "পিশাঁচৰ তেজেৰে ধোঁৱাম মোৰ পাঞ্চালীৰ মুক্ত কেশ। প্ৰতিশোধ প্ৰতিশোধ প্ৰতিশোধ।" লগে লগে আস্ফালন কৰি দুঃশাসনক বধ কৰে।

দুঃশাসনৰ মৃত্যুৰ পাছতে দ্ৰৌপদীৰ বেণীবন্ধন। দ্ৰৌপদীৰ আৰ্তনাদ,

"চাওঁক আজি পৃথিৱীয়ে, দেখক আজি সমাজে, বুজক আজি মানুহে। নাৰীৰ যেতিয়াই শ্লীলতা হানি হয়, তেতিয়াই হয় লংকা দহন নহয় মহাভাৰত হয়।"

লগে লগে নেপথ্যত দ্ৰৌপদীৰ শ্লোক,

"কুমাৰী চাপি পাঞ্চালী,

বেদী মধ্যা সমস্থিতা,

সুভগা দৰ্শনীয়াগ্নি,

বেদী মধ্যা মনোৰমা

শ্যামা পদ্মা পলাসাক্ষী

নীল কুঞ্চিত মাৰ্দ্ধজা"

তাৰ পাছতে আন্ধাৰৰ সুযোগ লৈ ভীম দুশাসনৰ প্ৰস্থান। পুনৰ মঞ্চত শ্ৰীকৃষ্ণ আৰু দ্ৰৌপদী।

দ্ৰৌপদী : "কিন্তু আজি, আজি কিয় মৌন তুমি সখা? নোতোলা কিয় সুদৰ্শন?"

এনেতে মঞ্চত এজনী ছোৱালীৰ প্ৰৱেশ। বুকুত বেগটো সাৱটি দৌৰি আহে মঞ্চৰ সিটো চুকত পৰি যায়। লগে লগে উচুপে। পিছে পিছে সোমাই আহে এটা ল'ৰা। পিন্ধনত জিনচ আৰু গাত এটা গেঞ্জী। ছোৱালীজনীলৈ হাত মেলে। ছোৱালীজনী আঁতৰিবলৈ চাই। সেই অৱস্থাতে ফ্ৰীজ হৈ ৰৈ যায় দুয়ো।

দ্ৰৌপদী : "সখা, সৌৱা চোৱা। আমাৰ সমুখতে পুনৰ ধূলিস্যাৎ এজনী নাৰীৰ স্বাভিমান।"

এইবাৰ মঞ্চৰ আগলৈ আহি শ্ৰীকৃষ্ণৰ সংলাপ,

"নাৰী, নাৰী প্ৰকৃতি। সৃষ্টিদায়িনী। কিন্তু আমি? কি কৰিছোঁ আমি? যি নাৰীৰ পৰা আমাৰ অস্তিত্ব আৰম্ভ হৈছে সেই নাৰীক অপমান? কিয়? বাৰে বাৰে সমাজত নাৰীৰে

Kaushik

কিয় অত্যাচাৰ? যুদ্ধ পুৰুষে কৰে। কিন্তু তাৰ ফল নাৰীয়ে ভোগে। পুৰুষৰ মৃত্যুত দুখ সকলোৱে পাই, কিন্তু বিধৱা কেৱল নাৰীহে হয়। আজিৰ নাৰীয়ে সমাজক দেখোৱা উচিত যি সৃষ্টি কৰিব পাৰে, তেওঁ ধ্বংসও কৰিব জানে।"

লগে লগে ছোৱালীজনী থিয় হৈ উঠে আৰু ল'ৰাটোক গুৰিয়াই পেলাই দিয়ে। বেগৰ পৰা এখন চুৰী উলিয়াই বহাই দিয়ে তাৰ বুকুত। এক আস্ফালন কৰি পৰি যায় ল'ৰাটো।

সকলো আকৌ ফ্ৰীজ। তাৰ মাজত শ্ৰীকৃষ্ণৰ সংলাপ,

"ইতিহাসৰ পাত ক'ত আকৌ ঘূৰিব,

ৰাখীৰ সলনি অস্ত্ৰ লোৱা দ্ৰৌপদী

এতিয়া ক'ত শ্ৰীকৃষ্ণ আহিব!"

লগে লগে আঁৰ কাপোৰ পৰে। প্ৰতিজন দৰ্শকে থিয় হৈ হাত চাপৰি আৰু চিঞৰেৰে কঁপাই দিছে অডিটৰিয়াম। যেন গা শিয়ঁৰি গৈছে সকলোৰে গা। ইয়াৰ লগতেই পাটকাই সোৱণশিৰীৰ নাটক শেষ।

Kaushik

সকলোৱে প্ৰতিযোগিতা শেষ হোৱালে অনুমান কৰিছিলেই ৰিজাল্ট কি হ'ব। চবৰেই ধুনীয়া হৈছে, কিন্তু পাটকাই আৰু সোৱণশিৰীয়ে মঞ্চত যি জুই লগালে সেয়া যেন অদ্বিতীয়। সকলোৱে অনুমান কৰাটোৱেই হ'ল। একাংকিকা নাট প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছিল পাটকাই সোৱণশিৰীৰ নাটক "যাজ্ঞসেনী"য়ে।

"আমাৰ আগত কোনো নাই,

পাটকাই পাটকাই"

চিঞৰত গগণ ফালিছিল পাটকাইৰ ল'ৰাবোৰে। অভিমন্যুৰ কোঁচত তুলি লৈছে ৰক্তিমে। তেনেতে মঞ্চত আকৌ ঘোষণা,

"শ্ৰেষ্ঠা অভিনেত্ৰী দ্ৰৌপদী অৰ্থাৎ সন্ধ্যা ৰাগিণী বৰুৱা"

লগে লগে গোটেই সোৱণশিৰীৰ ছোৱালীজাকৰ চিঞৰ। সন্ধ্যা নিজেও আচৰিত। নাটকখনে পুৰস্কাৰ পাব বুলি তাইও অনুমান কৰিছিল, কিন্তু তাই শ্ৰেষ্ঠ অভিনেত্ৰী হ'ব

বুলি কেতিয়াও ভবা নাছিল। হোষ্টেলৰ ল'ৰা ছোৱালীবোৰে সমদল উলিয়াইছিল। নাচি বাগি গোটেই কেইটাৰ তৎ নাই। সন্ধ্যাক সাৱটি ধৰি উচুপি উঠিছিল অভিমন্যুয়ে,

"সঁচাই এইটো বেষ্ট গিফ্ট মোৰ কাৰণে সন্ধ্যা।"

এটা সুন্দৰ মনোৰম সন্ধিয়াৰে কাঞ্চন নগৰত শেষ হৈছিল অভিমন্যুৰ অন্তিমখন নাটক।

প্ৰাগজ্যোতিকাত আজি গ্ৰেণ্ড ফিষ্ট। পেয়াৰিং হোৱা হোষ্টেলৰ মানুহৰ লগতে মেছ মেনেজাৰৰ চিনাকিবোৰকো মাতিছে। এইবাৰৰ মেছ মেনেজাৰ অনুৰাধা আৰু জুৰি। গতিকে সিহঁতৰ গোটেই ক্লাছটোৱে উঠি আহিছে বুলি ক'লেও ভুল কোৱা নহ'ব। সোৱণশিৰীৰ প্ৰিয়া, সন্ধ্যাহঁতৰ পৰা আৰম্ভ কৰি পাটকাইৰ অভিমন্যু, অনুৰণলৈকে কোনো বাদ পৰা নাই। জুৰি আৰু অনুৰাধাই চিনাকি সকলোকে মাতিছে।

সন্ধ্যা ৰুমতে বিচনাত পৰি আছিল দেৰিলৈকে। কেইদিন মান আগত ভাৰ্চিটী উইক শেষ হৈছেহে। দিনে ৰাতিয়ে নাটকৰ প্ৰেকটিছ কৰি গা বেয়া হৈ গৈছে তাইৰ। তাতে মাজে মাজে বিহুও চাই দিব লাগে। পিছে বিহুত এইবাৰ সোৱণশিৰীয়ে নাপালে। দুই একে সন্ধ্যালৈও আঙুলি টোঁৱালে। তাই নচা হ'লে কিবা এটা আহিল হয়। কিন্তু প্ৰিফেক্ট নন্দিনী একে আষাৰে কৈছিল,

"সন্ধ্যা বায়ে নাটকত আনিলেই চোন। এজনী মানুহে চব কৰিব নেকি?"

বাৰু যি নহওঁক নাটকৰ পুৰস্কাৰটোৰ বাবে তাই অভিমন্যুৰ কৃতাৰ্থ হৈ ৰ'ব সদায়। তাই আশা কৰিছিল অভিমন্যুয়েও শ্ৰেষ্ঠ পৰিচালকৰ বঁটাটো পাব। কিন্তু নাপালে। অৱশ্যে এই লৈ তাৰ কোনো আক্ষেপো নাই। সন্ধ্যাৰ জয়তেই যেন সি নিজৰ জয় দেখিছে। এৰা, বন্ধুত্ব এনেকুৱাই। কাৰোবাৰ দুখত দুখী হোৱাটো সহজ, কিন্তু কাৰোবাৰ সুখত অন্তৰৰ পৰা সুখী হ'বলৈ এখন মহৎ হৃদয়ৰ প্ৰয়োজন হয়।

প্ৰিয়াহঁত বহু আগতেই প্ৰাগজ্যোতিকা পালেগৈ। সন্ধ্যাক যাওঁতে আহি থাকিবলৈ কৈ গ'ল। সন্ধ্যাই একো নক'লে। এনেও আজিকালি তাইৰ অভ্যাস হোৱাৰ দৰেই হ'ল। সেইবাবে বিচনাৰ পৰা উঠি মুখ হাত ধুই কাপোৰ যোৰ সলাই ল'লে। তাইৰ প্ৰিয় ৰঙা ৰঙৰ কুৰ্তিটো পিন্ধিছে। পিন্ধাৰ আন এটা কাৰণো আছে। এই ৰঙা ৰংটো অনুৰণৰ খুব প্ৰিয়। সেইবাবেই তাইৰো ভাল লাগে। এৰা, প্ৰেমত চাগে এনেকুৱাই হয়। এজনৰ ভাল লগাবোৰক ইজনেও ভাল পাবলৈ লয়।

Kaushik

সন্ধ্যা ওলাই আহোঁতেই Essentialৰ সমুখতে অভিমন্যুহঁতক পালে। অকলে আহি থকা সন্ধ্যাক দেখি অভিমন্যুয়ে সুধিছিল,

"অকলে যে?"

"প্ৰিয়াহঁত বেছি সোনকালে গ'ল। মোক জোৰ কৰি আছিল, মইহে নাযাওঁ বুলি ক'লো।"

কথাটো কৈ অভিমন্যুহঁতৰ লগতে প্ৰাগজ্যোতিকাৰ ফালে খোজ ল'লে সন্ধ্যাই। তাই যে ফাঁকি দিছে অভিমন্যুয়েও ধৰা পেলাইছিল যদিও একো নক'লে সি। লাহে লাহে তাৰ সংশয়টো বাঢ়ি আহিছে। সি যোৱাৰ পাছত সন্ধ্যাৰ এই মৰমলগা হাঁহিটো নোহোৱা হৈ নাযায়তো!

খুব ধুনীয়াকৈ সজাইছে প্ৰাগজ্যোতিকা। নীলা নীলা ৰঙৰ সৰু লাইটবোৰে বেৰি ধৰিছে হোষ্টেলটো। বহল চোতালখনত চকী পাৰি থৈছে। মাজৰ গছবোৰতো সৰু জিলমিল লাইটবোৰ আঁৰি দিছে। মাজে মাজে এটা পাত্ৰত পানী দি গোলাপৰ পাহিৰে ভৰ্তি কৰি তাত মম জ্বলাই দিছে। কিছুমান গছৰ পাতত ৰিবনবোৰো লগাই দিছে। গোটেই পৰিৱেশটো সঁচাই বৰ মনোমোহা হৈছে। ন কইনাৰ দৰে জিলিকি উঠিছে প্ৰাগজ্যোতিকাখন।

সন্ধ্যাহঁত সোমাওঁতেই অনুৰাধা আগবাঢ়ি আহিল। সন্ধ্যাক আঁকোৱালি ধৰিলে তাই,

"মই অথনিৰ পৰা সুধি আছিলোঁ সন্ধ্যা ক'ত গ'ল বুলি। কংগ্ৰেচুলেচনচ সন্ধ্যা। আমাৰ বেষ্ট এক্ট্ৰেছ।"

"থেংক ইউ চ' মাচ্চ অনুৰাধা।"

সন্ধ্যাই হাঁহি মুখেৰে কৈছিল। সিহঁত গৈ চকীত বহিল। মানুহৰ ভিৰ লাগিয়ে আছে। অনুৰাধাই চৰ্বত আনি দিলে সিহঁত সকলোকে। মাজতে জুৰিয়েও এবাৰ মাত লগালেহি। অনুৰাধাই অনুৰণৰ কাষ চাপি ক'লে,

"ইহঁত জুৰিহঁতে খালেই। মই আকৌ তোমালোকলৈ ৰৈ আছিলোঁ।"

অনুৰণে একো মতা নাছিল মুখেৰে। অলপ সময়ৰ পাছতে জুৰিয়ে অনুৰাধাৰ কাণত আহি ক'লেহি,

Kaushik

"খালী হৈছে অলপ। ইহঁতক মাতি নি বহাই দে। আৰু তইও বহি ল অনুৰণৰ কাষতে।"

অনুৰাধাই মিচিকিয়াই হাঁহিছিল। জুৰিয়ে আকৌ ক'লে,

"চাবি আকৌ, সি সন্ধ্যাৰ লগত বহিবগৈ।"

অনুৰাধাই একো নকৈ মাত্ৰ হাঁহি এটা মাৰি উঠি গ'ল। সন্ধ্যাহঁতক মাতি খাবলৈ লৈ গ'ল তাই। ডাইনিং হলটোত সোমায়েই খোৱা বস্তু লৈ সমুখৰ টেবুলখনতে চকী টানি বহিল অনুৰাধা। মানুহ অলপ অলপ আছিলেই। অনুৰাধাৰ পাছতে অভিমন্যু আৰু ময়ূঁৰ সোমাই পিছফালৰ টেবুল এখনলৈ গ'ল। তাৰ পাছতে সন্ধ্যা সোমাল। কাঁহীত খোৱাবস্তুবোৰ লৈ অনুৰাধাক দেখি ওচৰ চাপি আহোঁতেই অনুৰাধাই ক'লে,

"সন্ধ্যা, অভিমন্যুয়ে ছিট থৈ দিছে তোমালৈ। পিছফালে।"

"অহ, সৌটো। এতিয়া দেখিছোঁ। তালৈকে যাওঁ দিয়া।" বুলি সন্ধ্যা আঁতৰি গ'ল। তেনেতে অনুৰণ আহিল থালখন লৈ।

"অনুৰণ, আহা ইয়ালৈকে।"

আগবাঢ়ি গৈ থকা অনুৰণ হঠাৎ ৰৈ গ'ল অনুৰাধাই মাতি দিয়াত। তাৰ ভাৱ ভংগীত অস্বস্তি পাইছে বুলি গম পোৱা যায় যদিও অনুৰাধাৰ কাষতে বহিল সি। আঁতৰৰ পৰা চাই থকা জুৰিয়ে অনুৰাধালৈ চাই চকুটিপ মাৰিলে।

খানা বৰ ধুনীয়া হৈছে প্ৰাগজ্যোতিকাৰ। মাংস দুবিধ। আৰু লগতে শেষত আইচক্ৰীমো আছে। অভিমন্যুয়ে সন্ধ্যাৰ বাটিৰ পৰাও এটুকুৰ মাংস কাঢ়ি ল'লে,

"বেছি শকত হ'লে বেয়া লাগে ছোৱালী মানুহক।"

"ৰাহুটো এইটো।"

সন্ধ্যাই ভোৰভোৰাইছিল। সিহঁতৰ সোনকালে খাই হোৱাত ওলাই আহি ডাইনিং ৰুমটোৰ সমুখতে ৰৈ আছিল অনুৰণহঁত অহালৈ।

"কেনেকুৱা পাইছা অনুৰণ?" খোৱাৰ মাজতে অনুৰাধাই সুধিলে।

"ভাল, ভালেই।" বুলি কৈ খোৱাত লাগিল সি। এবাৰ মাজতে জুৰি আহিল,

"ৱাহ, একেলগে বহিছে। বেলেগ আৰু। অনুৰণ, কিবা লাগিব নেকি?"

Kaushik

"মোক নালাগে। এই আইচক্ৰীমটো সন্ধ্যাক দি আহচোন। তাই ভাল পাই খায়।"

বাওঁহাতেৰে আইচক্ৰীমৰ বাটিটো জুৰিলৈ আগবঢ়াই দি অনুৰণে ক'লে। অনুৰাধাৰ লগতে জুৰিৰ মুখখনো যেন সলনি হৈছিল। কওঁ নকওঁকৈ তাই কৈয়ে দিলে,

"আইচক্ৰীম অনুৰাধাইও ভাল পায়।"

"মই সন্ধ্যাক দিবলৈ কৈছোঁ।" অনুৰণৰ গম্ভীৰ স্বৰ। জুৰিয়ে আৰু একো নকৈ আইচক্ৰীমটো নি সন্ধ্যাক দিলেগৈ,

"ল, অনুৰণে দিছে।"

সন্ধ্যাই হেঁপাহেৰে খাব লৈছিল। জুৰি আঁতৰি অহাত অভিমন্যু জোৰকৈ দুবাৰ মান গল খেকাৰি মাৰিলে। সন্ধ্যাই খাই থকাৰ মাজতে চেলাউৰি উঠাই সুধিলে,

"কি হ'ল অ' তোৰ?"

"নাই নাই। মোৰ আকৌ কি হ'ব গে? আইচক্ৰীম আৰু মৰমবোৰ একেই ন? মিঠা মিঠা।"

অভিমন্যুৰ চকুত দুষ্টালিৰ হাঁহি।

"বেছি হৈছে অলপ অভি।"

সন্ধ্যাই কথাটো কৈছিল হে মাত্ৰ। তাই তলকিব নোৱাৰাকৈ আইচক্ৰীমটো থপিয়াই অভিমন্যু দৌৰ দিলে। পিছে পিছে তাইও দৌৰিছে,

"ঐ, ছোৱালী হোষ্টেলত আহিও এইবোৰ কৰিবলে লাজ নালাগে তোৰ? দিলিনে আইচক্ৰীম?"

ইতিমধ্যে খাই হোৱাত অনুৰণ আৰু অনুৰাধা ওলাই আহিছিল। সন্ধ্যাহঁতক দেখি অনুৰাধাই ক'লে,

"ইহঁত দুইটাক একেলগে খুব ভাল লাগে ন?"

অনুৰণেও হাঁহি মাৰি ক'লে,

"উম, একদম ককায়েক ভনীয়েকৰ নিচিনা। চবতে উৎপাত আৰু কাজিয়া।"

Kaushik

এইটো উত্তৰ অনুৰাধাৰ বাবে একেবাৰে অপ্ৰত্যাশিত আছিল। অনুৰণৰ উত্তৰে আৰু কিবা কোৱাৰ পথো বন্ধ কৰি দিলে অনুৰাধাৰ বাবে। সিহঁত গৈ আগফাল পালেগৈ। অলপ সময় গোটেইবোৰে আড্ডা মাৰিলে তাতে। চেলফি পৰ্বও চলিল।

কথাৰ মাজতে সন্ধ্যাক অনুৰণে ক'লে,

"প্ৰিয়াহঁত গ'লেই। তোমাক থৈ আহোঁ ব'লা হোষ্টেলত।"

"হ'ব, পাৰিম মই।"

সন্ধ্যাৰ কথাত প্ৰতিবাদ কৰি অনুৰাধাই ক'লে,

"কিয় হ'ব? এই ৰাতিখন অকলে যাব নালাগে। অনুৰণ আৰু মই গৈ থৈ আহিম। ব'লা অনুৰণ।"

সুযোগ পাই জুৰিয়েও ক'লে,

"ঠিকেই। যা, তহঁত দুটাই থৈ আহ তাইক।"

অনুৰণে এবাৰ নাকটো মোহাৰি ঘন ঘনকৈ উশাহ লৈ থিয় হ'ল। আনে নুবুজিলেও সন্ধ্যা আৰু অভিমন্যুয়ে ভালকৈ বুজিছিল। অনুৰণৰ খং উঠিছে। খং উঠিলে সি কেতিয়াও নেদেখুৱাই যদিও এইধৰণৰ আচৰণ কৰে। সন্ধ্যা আৰু অনুৰণৰ লগতে অনুৰাধাও আগবাঢ়ি যাওঁতে পিছফালৰ পৰা অভিমন্যুয়ে মাত দিলে,

"আৰে অনুৰাধা, তুমি ক'ত যোৱা? আলহী মাতি এনেকৈ এৰি গুছি যায় নে?"

"নহয় মানে সন্ধ্যাক থৈ--"

অনুৰাধাক ক'বলৈ নিদি অভিমন্যুয়ে আকৌ ক'লে,

"সন্ধ্যাক অনুৰণে থ'বগৈতো। তাই ইমান স্পেচিয়েল হ'ল নে যে দুটা যাব থ'বলৈ। প্লিজ, মোৰ লগতে বহা না ইয়াত।"

সেমেনা সেমেনিকৈ অনুৰাধা অভিমন্যুৰ লগতে বহি ৰৈ গ'ল। অনুৰণে মুখ টিপি হাঁহিছিল। অৱশেষত অনুৰণ আৰু সন্ধ্যা অকলেই আগবাঢ়িল সোৱণশিৰীৰ ফালে।

Kaushik

ঠাণ্ডা কমিছে যদিও কুঁৱলী অলপ অলপ আছেই। মাজে মাজে বলা বতাহচাটিক ঠেলি গৈ আছে সন্ধ্যা আৰু অনুৰণ। সন্ধ্যাৰ মেলি থোৱা চুলি দুই এডাল খোজৰ লগতে খেলি মেলি হৈ মুখত পৰিছেহি। ৰাস্তাটোত অকল ষ্ট্ৰীট লাইটৰ পাতল পোহৰ। কুঁৱলীৰ বাবে বেছি আঁতৰলৈ নমনি। কোনেও একো কোৱা নাছিল। মাত্ৰ খোজৰ শব্দ আৰু জিলিৰ জি জি মাতটো। লগতে প্ৰাগজ্যোতিকাত লগাই থোৱা গানৰ চাউণ্ডটো পাতলকৈ বৈ আহিছে। প্ৰথমতে সন্ধ্যায়েই ক'লে,

"আইচক্ৰীমটোনো কিয় দি পঠাব লাগে?"

"কিয়? কোনোবাই কিবা ক'লে নি?" অনুৰণেও সৰু মাতেৰে সুধিলে। সন্ধ্যাই কৈছিল,

"নাই, অভিয়েহে এনেই জোকাই আছিল। আইচক্ৰীম আৰু মৰম বোলে একেই।"

অনুৰণে সামান্য হাঁহিলে,

"জোকাওঁক দিয়া। এই শেষৰ কেইদিন তাক নিজৰ মতে থাকিব দিয়া।"

সন্ধ্যাই একো নকৈ হুঁমুনিয়াহ এটা পেলালে। যেন বহু কথা কৈছিল তাৰ মাজেৰেই। অনুৰণে আকৌ ক'লে,

"অভিমন্যু গ'লেগৈ হাঁহি ধেমালি কৰিবলৈও লগ এটা নোহোৱা হ'ব।"

সন্ধ্যাই একো নক'লে। অভিমন্যু যোৱাৰ কথা ওলালেই তাই যেন আৱেগিক হৈ যায়। বুকুখনত গধূৰ কিবা এটা বহি থাকে। অভিমন্যুৰ কথা নকৈ সন্ধ্যাই ক'লে,

"আমাৰোতো আৰু এবছৰৰ পাছত শেষ।"

"তাকেই, বহুত সোনকালেই গ'ল সময়বোৰ।"

সন্ধ্যাই তাৰ ফালে চাই মাত দিলে,

"ৰণ--"

"কোৱা"

"আমাৰ আৰু মাত্ৰ এবছৰ আছে।"

"তাকেই।"

Kaushik

"এই যোৱা চাৰি বছৰত তোমাক মই কিমান কি ক'লো ঠিক নাই। কিন্তু মোক ক'বলৈ তোমাৰ কি একো কথা নাই?"

সন্ধ্যাৰ কথাত কেই মূহুৰ্তমান তাইৰ চকুলৈ চাই ৰ'ল অনুৰণে। তাৰ পাছত ক'লে,

"নাই।"

কিছু সময় মৌনতা। কাৰো একো মাত নাই। পৰিস্থিতিটো সহজ কৰিবলৈ সন্ধ্যাই কথাটো সলাই ক'লে,

"তোমাৰ নামটোৰ মিনিং কি জানানে?"

"কিবা চাউণ্ডৰ লগত ৰিলেটেড নেকি?"

"য়েচ। অনুৰণ নাইবা অনুৰণন মানে শব্দৰ কম্পন। কিন্তু তুমি আকৌ মানুহটো এনি টাইম চাইলেণ্ট মুডতে থাকা। আচলতে তোমাৰ নামটো অনুৰণ নহয়, নীৰৱ হে হ'ব লাগিছিল।"

অনৰ্গল কৈ যোৱা সন্ধ্যাৰ কথাত অনুৰণে হাঁহি পেলাইছিল। হাঁহি হাঁহিয়ে সি ক'লে,

"ঠিক আছে, তুমি নীৰৱ বুলিয়ে মাতিবা মোক।"

সন্ধ্যাইও খিলখিলাই উঠিছিল। চুলি কেইডাল আকৌ চকুত পৰিছিলহি তাইৰ। সিহঁত আহি সোৱণশিৰী পালেহি। সন্ধ্যাই ক'লে,

"যাওঁ দিয়া, বাই।"

কথাটো কৈ গেটৰ ভিতৰলৈ সোমাই গ'ল সন্ধ্যা।

"সন্ধ্যা, শুনা"

অনুৰণৰ মাতত ৰৈ গ'ল সন্ধ্যা। উভতি আহি গেটৰ গ্ৰীলডালত হাতেৰে ধৰি ৰ'ল। অনুৰণ আগবাঢ়ি আহিল। গেটখনৰ সিটো পাৰে সন্ধ্যা, এইটো পাৰে অনুৰণ। গ্ৰীলডাল ধৰি থকা সন্ধ্যাৰ হাতখনৰ ওপৰতে নিজৰো হাতখন থৈ অনুৰণে ক'লে,

"মই নক'লোৱেই যেনিবা ; তুমি কিন্তু নুবুজাকৈ নাথাকিবা।"

কুঁৱলী পৰি আছিল। সোৱণশিৰীৰ কাষৰ কাঞ্চনজোপাত ওলমি থকা জোনটোও যেন নিয়ঁৰৰ পৰশত ধূসৰ হৈ পৰিছে। নিয়ঁৰৰ টোপালবোৰ সৰি কাঞ্চনৰ পাতবোৰত টুপ

kaushik

টুপ শব্দ হৈছে। নিশা গভীৰ হ'লে নিয়ৰবোৰো যেন বেছিকৈ সৰে। এটোপ নিয়ঁৰ সৰি সন্ধ্যা আৰু অনুৰণৰ হাতখনতো পৰিল। সন্ধ্যাৰ হাতত পৰি অনুৰণৰ হাতেৰে বৈ গৈছে নিয়ঁৰৰ টোপালটো। ঠিক তাৰ কথাষাৰৰ দৰেই। সন্ধ্যাৰ গাটো শিয়ৰি উঠে সদায়ৰ দৰেই। কি ক'ব তাই? দুয়ো সকলো জানিও যেন অজান, সকলো বুজিও যেন অবুজ। সিহঁতৰ কাহিনীও তেনেকুৱাই। মৌন হৈ থকা সন্ধ্যাক অনুৰণে আকৌ ক'লে,

"যোৱা, নিয়ঁৰ বেছি পৰিব এতিয়া।"

অনুৰণে হাতখন আঁতৰাই আনিছিল। সন্ধ্যা এখোজ দুখোজকৈ ভিতৰলৈ গৈছিলগৈ। কাঞ্চনজোপাৰ তলতে ৰৈ অনুৰণে চাই আছিল তাই চকুৰ আঁৰ নোহোৱালৈকে। আকাশত হাঁহিছিল জোনটোৱে। কাঞ্চনৰ পাতত আকৌ সেই নিয়ঁৰ সৰাৰ শব্দটো, টুপ টুপ। প্ৰাগজ্যোতিকাৰ পৰা ভাঁহি আহিছিল দীপলিনা ডেকাৰ জনপ্ৰিয় গীতৰ কলিটো,

"নিয়ঁৰৰ কোলাতে বহি

এটুপি সপোনো সৰে

তুমি আহিলে....."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 103

মানুহে কয়, জীৱনৰ পৰা কোনোবা এজন আঁতৰি গ'লেই জীৱনটো ৰৈ নাযায়। কিন্তু এইটো কোনেও নুবুজে যে সেই কোনোবা জনৰ ঠাইটুকুৰ সদায় খালী হৈয়ে থাকি যায়। হেজাৰ জনৰ আগমনেও সেই বিশেষজনৰ ঠাইখিনি পূৰাবহি নোৱাৰে।

সন্ধ্যাৰ বাবে সেই বিশেষ জনেই আছিল অভিমন্যু। বন্ধুত্বনো আচলতে কি সেয়া তাই অভিমন্যুক লগ পাইহে শিকিছিল। যোৱা চাৰি বছৰ ঢালৰ দৰে আৱৰি ৰখা অভিমন্যুৰ আজি বিদায়ৰ ক্ষণ সমাগত।

সিদিনা বিচনাত পৰি গোটেই দুপৰীয়াটো এইবোৰ কথাকে পাগুলি থাকোঁতেই সন্ধ্যাৰ মোবাইলটো বাজিল। ফোনটো নন্দিনীয়ে কৰিছে। সোৱণশিৰীৰ প্ৰিফেক্ট। উঠালে সন্ধ্যাই,

"কোৱা ননি"

সন্ধ্যাই মৰমতে তাইক ননি বুলি মাতে।

"সন্ধ্যা বা, ঝৰ্ণাই ৰুম লক নকৰাকে গুছি আহিল জানা নে? তুমি প্লিজ লকটো কৰি চাবিটো তোমাৰ তাত ৰাখা না।"

নন্দিনীৰ ৰুমমেট ঝৰ্ণা। ঝৰ্ণা ৰয়। মৰমলগা ঠগৰ বঙালী ছোৱালীজনীৰ উৎপতীয়া স্বভাৱটোৰ কথা গোটেই সোৱণশিৰীয়ে জানে। ৰুমৰ ছাবি হেৰুৱা, বাথৰুমত ছোৱালীক বাহিৰৰ পৰা লক কৰি দিয়া, ৰাতি বেলেগৰ ৰুমৰ দুৱাৰত ধম ধম শব্দ কৰি পলোৱা এইবোৰৰ বাবেই ঝৰ্ণা বিখ্যাত। নন্দিনীৰ ঝৰ্ণাৰ লগত দিনটোতে দহখন কাজিয়া লাগে। সিফালে দুইজনী আঁতৰিও থাকিব নোৱাৰে।

"ঠিক আছে বাৰু ননি। কিন্তু মই এতিয়া বাহিৰ যাম যে অলপ পাছতে।" সন্ধ্যাই ক'লে। দোকানৰ পৰা সৰু সুৰা বস্তুদুটা মান আনিবলৈ থকাৰ বাবে তাই গেটৰ বাহিৰলৈ যোৱাৰ কথা।

"একো নাই, তুমি চাবিটো লৈ আনা। মই এমিনিটীতে আছোঁ।"

"হ'ব" বুলি কৈ বিচনাৰ পৰা উঠি গ'ল সন্ধ্যা। নন্দিনীৰ ৰুমটো তলা মাৰি ছাবিটোও লগতে লৈ এমিনিটী পালেগৈ। সময় তেতিয়া আবেলি হওঁ হওঁ।

"থেংক ইউ বা। ব'লা মইও যাওঁ বাহিৰলৈকে।"

নন্দিনীও সন্ধ্যাৰ লগত বাহিৰলৈ ওলাল। যাৱতীয় বস্তুকেইটা কিনি ভিতৰলৈ আহিবলৈ লওঁতেই নন্দিনীয়ে ক'লে,

"সন্ধ্যা বা, জাল মুৰি খাওঁ ব'লা"

গেটৰ ওচৰত ৰাস্তাটো পাৰ হৈয়ে নতুনকৈ মানুহ এজনে ঠেলা এখনত জালমুৰি বেচিবলৈ লৈছে। কম দিনতে সকলোৰে মাজত বিখ্যাত হৈ পৰিছে তেওঁৰ জালমুৰি। বহুতে সন্ধিয়া ওলাই আহি যাওঁতে জালমুৰি দহ টকা লৈ গলিয়াই যায়। মন নাছিল

Kaushik

যদিও সন্ধ্যাই নন্দিনীয়ে কোৱাৰ বাবেই জালমুৰিখিনি ল'লে। কথা পাতি পাতি তাতেই থিয় হৈ খাই আছিল সিহঁতে।

"মেই ত' ৰাস্তে চে যা ৰাহা থা,

মেই ত' ঝালমুৰি খা ৰাহা থা"

হঠাৎ চিনাকি মাতটোৰে কোনোবাই গান গোৱা শুনি ঘূৰি চাই সন্ধ্যাই চিঞৰি উঠিল,

"পখী--- তই?"

"তুঝে মিৰচি লগি ত' মেই ক্যা কৰু"

পখীয়ে সুৰ লগাই গালে। হাঁহি হাঁহি সন্ধ্যাই সাৱটি ধৰিলে তাইক,

"পিছে ঘপকৈ ওলালিহি যে?"

"নক'বি আৰু, মাইগ্ৰেচনৰ কামটো হোৱাগেই নাই যে। ডি.ইউত এপ্লাইটো কৰি চাওঁ ভাবিছোঁ। হোৱা নোহোৱা পিছৰ কথা।"

পখীয়ে ক'লে। তাই পি এইচ ডিত এপ্লাই কৰাৰ কথা ডি.ইউ, মানে ডিব্ৰুগড় ইউনিভাৰ্চিটীত। সন্ধ্যাক কৈছিল এবাৰ। তাৰ বাবেই মাইগ্ৰেচন লাগে। কথা পাতি পাতি ভিতৰলৈ আহিল সিহঁত।

"ৱাহ, চিংগল ৰুমত পিছে বটল চটল খুলিছনে নাই?" সন্ধ্যাৰ ৰুমত সোমায়েই পখীয়ে ক'লে। ৰুমটো ইফালে সিফালে চাইছে তাই। দুজনীয়া ৰুমৰ সম্পূৰ্ণ আধা আৰু। এখন বিচনা, এখন টেবুল, এটা ৱাৰ্ড্ৰব। সন্ধ্যাই পখীৰ বেগটো ৱাৰ্ড্ৰবত ভৰাই দি ক'লে,

"তোৰ নিচিনা পাইছ হা মোক?"

"সন্ধ্যা, তোৰ লগত মোৰ কথা এটাও আছিল। জৰুৰী।"

হঠাৎ গহীন হৈ পৰা পখীৰ সমুখতে বহি সন্ধ্যাই সুধিলে,

"কি কথা অ'? ইমান ছিৰিয়াছ হৈ গ'লি যে?"

পখীয়ে গহীন দৃষ্টিৰে চাইছিল সন্ধ্যালৈ।

"মোৰ এই গান মোৰ উন্মেষ,

Kaushik

মোৰ এই সুৰ তোমাতেই শেষ

তুমি হাঁহি তুমি অশ্রু

মোৰ সৃষ্টি মোৰ মৃত্যু

সপোন আহে যায় দুখ নিগৰা মন

নিথৰ নিথৰ প্ৰতি ক্ষণ

মেঘৰ বৰণ...."

হঠাৎ ৰুমটোত সোমায়েই স্পীকাৰটো বন্ধ কৰি দিলে অভিমন্যুয়ে। বিচনাত পৰি থকাৰ পৰা চিঞৰিলে ময়ূঁৰে,

"আহি গ'লি আৰু ন? অশান্তি চব ক'ৰবাৰ।"

"চুপ। অকল গান আৰু গান। গানৰ বাহিৰে বেলেগ কাম নাই? দুদিনৰ পাছত মই মানুহটো যাম গৈ। তেও মোৰ লগত কথা পতাৰ সময় নাই তোৰ।" অভিমন্যুয়ে ধমকি মাৰি উঠিল। ময়ূঁৰ শোৱাৰ পৰা উঠি ল'লে,

"এ হ'ব আৰু। এইটো চেন্টি দি দি শেষত যোৱাৰ দিনাও চকুপানী নোলাব তোৰ কাৰণে।"

"কি কঁৰ? সঁচাকে নোলাব নি?" বিচনাৰ কাষতে বহি অভিমন্যুয়ে সুধিলে। ময়ূঁৰেও তাৰ ফালে হাওলি আহি ক'লে,

"ওহোঁ, নোলাবতো।"

"ছেঃ বৰ লাজৰ কথা হ'ব নহয় কোনেও চকুপানী অকণ নুলিয়ালে।"

কথাটো কৈ থাকোঁতে অভিমন্যুয়ে বিচনাৰ কাষৰ টেবুলখনৰ পৰা পানীৰ বটলটো লৈ অনা ময়ূঁৰে মন কৰা নাছিল।

"তাকেই ন? তোৰ ফেয়াৰৱেলত বোলে কোনেও নাকান্দিলেই, কি কৰিবি তেতিয়া?"

"তেতিয়া? আৰ্টিফিচিয়েল চকুপানী উলিয়াম চবৰে। এনেকৈ।" বুলি পানীৰ বটলটো খুলি পানীখিনি ময়ূঁৰলৈ ছটিয়াই দিলে অভিমন্যুয়ে।

Kaushik

"কি ফটুৱামি কৰিছ হা? কেনেকুৱা অভদ্ৰ তই মানুহটো।" বুলি ময়ূঁৰে খেদি আহিল। অভিমন্যুয়ে লগে লগে ৰুমৰ দুৱাৰ খুলি দৌৰ দিলে। পিছে পিছে চোঁচা ল'লে ময়ূঁৰে। দৌৰি দৌৰি দুয়োটা পাটকাইৰ আগফাল পালেগৈ। এনেতে অভিমন্যুৰ ফোনটো বজাত সি ৰৈ দিলে,

"ঐ ৰ ৰ। ফোন আহিছে।"

ময়ূঁৰো ৰৈ গ'ল। ফোনটো সন্ধ্যাই কৰিছে। কাণত লওঁতেই তাই ক'লে,

"অভি, এবাৰ Essential আহিব পাৰিবি? কথা এটা আছে।"

"গৈ আছোঁ" বুলি কাটিলে অভিমন্যুয়ে।

"আহি ল গে যা। চাই থাক তোক কি কৰিম।"

কথাটো কৈ ময়ূঁৰো ৰুম পালেগৈ। হাঁহি হাঁহি অভিমন্যু Essentialৰ ফালে ওলাই গ'ল।

"নাজানো ক'ত তুমি থাকা

নাজানো মই ক'ত থাকোঁ

জানো মাথোঁ আমি থাকোঁ সপোন ভাঁজত..."

গানটো গাই গাই অভিমন্যুয়ে Essentialৰ গছজোপাৰ তলৰ চকীত বহি থকা সন্ধ্যাৰ চুলি কেইডালত ধৰি টান মাৰি দিলে।

"চাওঁ এৰ। অভদ্ৰ ক'ৰবাৰ।"

চকীখন আনি বহি লৈ অভিমন্যুয়ে ক'লে,

"ঐ, তই যে মোক অনবৰতে এই অভদ্ৰ, অসভ্য, চোৰ এইচব কৈ থাক অলপ ভাল ব্যৱহাৰ কৰিব নোৱাৰ নে কি?"

"তোৰ কামবোৰো ভাল হ'ব লাগিব নহয় ভাল মাত শুনিবলৈ।" সন্ধ্যাই খঙেৰে কৈছিল।

"হ'ল কি এতিয়া ক।"

সন্ধ্যাই চকীখন তাৰ ফালে ঘূৰাই ল'লে। তাৰ পিছত সুধিলে,

Kaushik

"তই ইমান ডাঙৰ কথা এটা কেনেকৈ লুকুৱাব পাৰিলি মোৰ পৰা?"

"ডাঙৰ কথা মানে? কি লুকুৱালো?"

"চুপ থাক। ফাল্টু ক'ৰবাৰ। এনেই দিনটোত কেইজনীৰ লগত চেনি খালি সেইবোৰ ক'ব পাৰ, কিন্তু কাৰোবাক সঁচাকৈ ভাল পাই প্ৰপোজো কৰি আহিলি। অথচ মই গম নাপাওঁ। ৱাহ; এইয়াই ফ্ৰেণ্ডছিপ তোৰ।"

সন্ধ্যাৰ কথাত এইবাৰ তলমূৰ কৰিলে অভিমন্যুয়ে। তাৰ বুজিবলৈ বাকী নাছিল যে সন্ধ্যাই কি কথা কৈছে। কিন্তু তাই এইবোৰ ক'ত গম পালে! সোধোঁ নোসোধোঁকৈ সুধিলে সি,

"তই এইবোৰ কেনেকে? মানে কোনে--"

তাৰ কৈ নহওঁতেই সন্ধ্যাই আকৌ গালি দিলে,

"চুপ। একদম চুপ থাক। মই গম পাবই নালাগিছিল মানে। এবাৰো মোক ক'ব লাগে বুলি নাভাবিলি। কি ভাব? তই নক'লি বুলি কি মোক কোৱা মানুহৰ অভাৱ হৈছে?"

"সন্ধ্যা, তোৰ আইচক্ৰীম।"

হঠাৎ মাতটো শুনি ঘূৰি চাই অভিমন্যুয়ে দেখে হাতত আইচক্ৰীমৰ বাটিটো লৈ Essentialৰ ভিতৰৰ পৰা ওলাই এইফালে আহি আছে পখী। অভিমন্যুৰ যেন মুখৰ মাত হেৰাল। কি প্ৰতিক্ৰিয়া দিব একো ভাবি নাপাই দাঁতেৰে ওঁঠখন চিকুটি তলমূৰ কৰি আছে সি। পখীৰ পৰা আইচক্ৰীমটো লৈ সন্ধ্যাই তাক ক'লে,

"কি হ'ল? অলপ আগত চোন গান গাই আছিলি নাজানো ক'ত তুমি থাকা। এতিয়া গা আকৌ।"

পখীয়ে মুখ টিপি হাঁহিছিল। সন্ধ্যাও আচৰিত হৈছিল অভিমন্যুৰ এই প্ৰথম শান্ত ৰূপ দেখি। তাই বুজি পাই কাৰ সমুখত মানুহ এইদৰে শান্ত হৈ পৰিব পাৰে। মনে মনে ৰোৱা অভিমন্যুক সন্ধ্যাই আকৌ ক'লে,

"যা, দুইটা যা। য'ত কাহিনী শেষ হৈছিল, তাৰ পৰাই আকৌ আৰম্ভ কৰ। মই আছোঁ ইয়াতে।"

অভিমন্যু মূৰ্তি যেন হৈ বহি থকা দেখি সন্ধ্যাই আকৌ ক'লে,

Kaushik

"অভি, কি কৈছোঁ শুনিছোঁ নাই? যা বুলিছোঁ নহয়।"

এইবাৰ উঠিল সি। পখীৰ লগত আগবাঢ়িল নিৰিবিলিৰ ফালে। পখীয়ে এবাৰ উভতি চাইছিল। সন্ধ্যাই বুঢ়া আঙুলিটো থিয় কৰি দেখুৱালে। সিহঁত যোৱাৰ পাছতে আইচক্ৰীমটো খুলি ল'লে তাই। মনত পৰিছিল অলপ আগতে পখীয়ে তাইক কোৱা কথাবোৰ।

পখীৰ বেগটো ৱাৰড্ৰবত ভৰাই আহি তাইৰ সমুখত বিচনাতে বহিল সন্ধ্যা,

"কি কথা পখী, ক আকৌ।"

"মানে, তোক কোৱা নহ'ল। যোৱাৰ আগত ঘটনা এটা হৈছিল।"

পখীৰ খেঁৰো গেঁৰো কৰি থকা দেখি সন্দেহ হৈছিল সন্ধ্যাৰ। তাইৰ বাহুত হাত থৈ সন্ধ্যাই সুধিছিল,

"কি হৈছে পখী? কচোন মোক।"

একো উত্তৰ নিদি পখীয়ে সন্ধ্যাক আঁকোৱালি ধৰি উচুপি উঠিছিল। সন্ধ্যাইও মৰমেৰে সাৱটি লৈছিল তাইক।

"মই বহুত বেয়া জান' ৰুণজুন।" বুলি পখীয়ে কৈ গৈছিল, কিদৰে অভিমন্যুয়ে তাইক ভালপোৱাৰ প্ৰস্তাৱ দিছিল। আৰু কিদৰে তাই নিজক কষ্ট দিও অভিমন্যুক অপমান কৰি তাৰ প্ৰস্তাৱ দলিয়াই দিছিল।

"কি? অভিয়ে তোক?"

সন্ধ্যাৰ যেন বিশ্বাস হোৱা নাছিল প্ৰথমতে। বাৰে বাৰে সুধিছিল গোটেই ঘটনাটো। কথাবোৰ গম পাই খঙত জ্বলি উঠিছিল সন্ধ্যা,

"তহঁত দুইটাই ভাব কি বুলি মোক? ইমানখিনি ঘটি গ'ল, আৰু মোক এতিয়া কৈছ তহঁতে? মই কি মানে? সেয়াই ভেল্যু মোৰ? আৰু পখী, যদি তইও তাক ভাল পাঁৱ তেন্তে কিয় এচেপ্ত নকৰিলি তাক?"

পখীয়ে চিঞৰি কৈছিল,

Kaushik

"কেনেকৈ কৰোঁ ক? কেনেকৈ কওঁ তাক মইও ভাল পাওঁ বুলি? মই এজনী বদনামী ছোৱালী ৰুণ। তাৰ পাছত ৰুমমেটৰ এক্স বয়ফ্রেণ্ডৰ লগত ৰিলেশ্যনত অহাৰ বদনাম কেনেকৈ লওঁ?"

"তই বদনামলৈ ভয় কৰ পখী? তই মানুহৰ কথালৈ কেয়াৰ কৰ?"

"নকৰোঁ। নকৰোঁ ভয়। কিন্তু অভিমন্যুৰ জীৱনটো লৈ খেলা কেনেকৈ কৰোঁ ক। মই তাতকৈ এবছৰ ডাঙৰ। মদ চিগাৰেট চব খাওঁ মই। মোৰ নিচিনা এজনী ছোৱালীৰ লগত---"

পখীৰ কথাৰ মাজতে সন্ধ্যাই ক'লে,

"তই অভিক বুজিয়ে পোৱা নাই পখী। আনে যোৱা বাটে নাযায় বাবেই সি অভিমন্যু। এইবোৰ কথাই মোৰ অভিৰ প্ৰেমত একো প্ৰভাৱ নেপেলায়। পেলাব নোৱাৰে। আৰু তই সেইবোৰ নাভাবি তাক ইমান দুখ দিলি।"

পখীয়ে ফেঁকুৰি ক'লে,

"ভাবিছিলোঁ ঘৰ গৈ মই অভিমন্যুক পাহৰিব পাৰিম। কিন্তু নাই পৰা জান' ৰুণ। প্ৰতিটো সময়তে এটা বিষে খুন্দিয়াই থাকে বুকুখনত।"

সন্ধ্যাই থিয় হৈ ক'লে,

"জানো, মোৰ অভি এনেকুৱাই। তাক কোনোবাই ভাল পাব পাৰে, বেয়া পাব পাৰে। কিন্তু পাহৰিব নোৱাৰে।"

তাৰ পাছতে সন্ধ্যাই দায়িত্ব লৈছিল পখী আৰু অভিমন্যুক পুনৰ্মিলন কৰোৱাৰ। তাৰেই পৰিণতি এইয়া।

"ঐ টিকলি, কি কৰি আছা অকলে অকলে?"

Essential আগত চাইকেল এখন ৰৈ গ'ল। অনুৰণ আছিল সেইটো। সন্ধ্যা উঠি গ'ল সেইখিনিলৈ,

"ঐ ল'ৰা, মাৰ খাবা কিন্তু কোনোবা দিনা। কি টিকলি হা মই?"

"ঠিক আছে, তেন্তে বুঢ়ী বুলি মাতিম।"

"বেছি হৈছে অলপ দেই ৰণ।"

Kaushik

"বাৰু বাদ দিয়া, কৰি আছা কি ইয়াত?"

চকুৰে প্ৰাগজ্যোতিকালৈ যোৱা গলীটো দেখুৱাই সন্ধ্যাই ক'লে,

"অনুৰাধা আহিব ইয়ালে। তাইলেকে ৰৈ আছোঁ।"

"বাই, যাওঁ মই।" লগে লগে চাইকেলত পেডেল মাৰি আগবাঢ়িল অনুৰণ।

"হাৰে ৰ'বা। ঐ, গ'লা গে যে। অনুৰণ, শুনা না।"

সন্ধ্যাই চিঞৰিছিল পিছফালৰ পৰা।

"পাছত লগ পাম।" বুলি চিঞৰ এটা মাৰি আগুৱাই গ'ল অনুৰণ। হাঁহি হাঁহি চকীখনতে বহিলহি সন্ধ্যা। অনুৰাধাৰ নাম শুনিয়ে কেনেকুৱা পলাইছে এই ল'ৰাটো। অনুৰাধা ছোৱালীজনী ভাল। তাই অনুৰণৰ লগত মাজে মাজে দুই এষাৰ কথা পাতে, কিন্তু আমাৰ এইজন মহাপুৰুষে আকৌ সন্ধ্যাৰ বাহিৰে বেলেগ ছোৱালী দেখিলে সাত হাত দূৰৈত। সন্ধ্যাই এই কথাটো লৈ তাক জোকাই খুব ভাল পায়। এতিয়াও সেইবাবেই অনুৰাধাৰ কথা উলিয়াইছিল। পিছে সি যে চিধা গুছিয়েই যাব ভবা নাছিল। হাঁহি হাঁহি বাকী থকা আইচক্ৰীমখিনি মুখলৈ নিলে সন্ধ্যাই।

Kaushik

সময়টো সেইদিনাৰ দৰেই আছিল। সেই একেই আবেলি, সেই একেই বতাহ, সেই একেই নিৰিবিলি। আনকি বেঞ্চো একেখনেই। মাত্ৰ সিদিনা শেষ হোৱা কাহিনীটোৰ আজি পুনৰ আৰম্ভণি। কোনোবাই ঠিকেই কৈছিল, শেষ বুলি ক'লেই জানো সকলো শেষ হয়!

অভিমন্যুয়ে একো কোৱা নাছিল মুখেৰে। পখীয়েই ক'লে,

"ভালে আছা?"

"উম ভাল। খুব ভাল।"

অভিমন্যুয়ে তাইৰ চকুলৈ নোচোৱাকৈয়ে ক'লে। পখীয়ে চাইছে তাৰ ফালে। আগতকৈ অলপ ক্ষিণাইছে অভিমন্যু। তাই আকৌ ক'লে,

"মোৰ তোমাক মাতিবলৈও কিবা লাগিছে অভিমন্যু।"

প্ৰথম বাৰৰ বাবে পখীৰ চকুলৈ চাই অভিমন্যুয়ে ক'লে,

"এবাৰ মাতি চোৱা না। মইতো কিমান দিনৰ পৰা তুমি মাতিবা বুলিয়েই ৰৈ আছোঁ।"

অভিমন্যুৰ কান্ধত মূৰটো পেলাই দিলে পখীয়ে। বহুদিনৰ মূৰত যেন তাই শান্ত হৈছে। ক'ৰবাত তাইৰ মাজত থকা হেৰাই যোৱা পখীজনী আজি পুনৰ ওলাই আহিছে। উচুপি উঠিছে তাই,

"মই খুব বেয়া ছোৱালী অভিমন্যু।"

"মইও বেয়া ল'ৰা।"

"মই তোমাতকৈ এবছৰ ডাঙৰ।"

"ভালহে, তুমি আগতে চাকৰি পাবা।"

"মই মদ ভাং চব খাওঁ।"

"ভালেই, বেলেগত পাৰ্টি কৰিবলৈ নগ'লেও হ'ব মই।"

আৰু একো কোৱা নাই পখীয়ে। অভিমন্যুয়ে তাইক মৰম কৰি হাতখন নিজৰ হাতৰ মাজত লৈ ক'লে,

"ভালপোৱাত পাৰফেক্ট বুলি একো নাথাকে পখী। ভালপোৱা নিজেই পাৰফেক্ট।"

পখীৰ বৈ অহা চকুপানীখিনি মচি দিলে সি। পখীয়ে চকু দুটি মুদি ক'লে,

"বহুত ভাল পাওঁ তোমাক।"

তাইৰ হাতখন ওঁঠেৰে স্পৰ্শ কৰি এটা সৰু চুমাৰে অভিমন্যুয়ে কৈছিল,

"মইও, বহুত বেছি।"

"এতিয়া যাওঁ ব'লা। সন্ধ্যা ৰৈ থাকিব।"

দুইটা উঠি আহিল তাৰ পৰা। নিৰিবিলিৰ প্ৰথম বেঞ্চখনৰ কাষৰ কাঞ্চনজোপাত থকা চৰাই এটাই কিচিৰ কিচিৰকৈ যেন জোকাইছিল সিহঁতক।

Kaushik

হাঁহি মুখেৰে essential ত সোমোৱা পথী আৰু অভিমন্যুক দেখি সন্ধ্যা উঠি আহিল। সিহঁতৰ ওচৰ পাই দুষ্টালিৰ হাঁহিৰে অভিমন্যুৰ বাহুত হাতেৰে ভেঁজা দি বিশেষ ভংগীমাৰে তাই ক'লে,

"তেন্তে ফাইনেলি আপোনাক মই ভিনদেউ বুলি মাতিব পাৰোঁ নে?"

পথীয়ে লাজত তলমূৰ কৰিছিল। অভিমন্যুয়ে সন্ধ্যাৰ হাতখন আঁতৰাই দি ক'লে,

"নোৱাৰ।"

পথীৰ লগতে সন্ধ্যাইও আচৰিত হৈ চাইছিল। অভিমন্যুয়ে হাঁহি মাৰি উত্তৰ দিলে,

"মোক ভিনদেউ নহয়, এখেতক নবৌ বুলি মাত তই।"

পথীয়ে লগে লগে ক'লে,

"কিয় মাতিব মোক নবৌ বুলি? সন্ধ্যা মোৰ ভন্টি হয়। লগতে ৰুমমেটো। গতিকে মোৰ ফালে থাকিব।"

"হ'ব হ'ব হ'ব। তহঁতৰ বিয়াত যিটোৱে মোক বেছি কাপোৰ দিবি সেইটোৰ ফালেই থাকিম। হ'লতো?"

সন্ধ্যাৰ কথাত জোৰকৈ হাঁহি দিছিল গোটেই কেইটাই।

"সন্ধ্যা, মই যাওঁ দে। এবাৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ পৰা আহোঁগৈ।"

কথাটো কৈ পথী ওলাই গ'ল। সন্ধ্যা আৰু অভিমন্যু ৰৈ গৈছিল তাতেই। পথী যোৱাৰ পাছত অভিমন্যুয়ে ক'লে,

"থেংকচ বে।"

"হ'ব এতিয়া থেংকচ বাদ দে। পাৰ্টিটো কেতিয়া দিবি?"

"পাৰ্টি?" অভিমন্যুয়ে এক মূহুৰ্তৰ বাবে তাইলৈ চাই ৰ'ল। তাৰ পাছতে ঘপকৈ সন্ধ্যাৰ হাতৰ পৰা আইচক্ৰীমটো লৈ দৌৰ দিলে।

"অভি, তই সদায় এনেকুৱা কিয় কৰ হা? ফটুৱা নেকি? ৰ না।"

পিছে পিছে সন্ধ্যাই চিঞৰি গৈছে।

Kaushik

এপাকত ৰ'লগৈ দুইটা। হাঁহি হাঁহি আইচক্ৰীম খাই থাকোঁতেই পিছ ফালৰ পৰা কোনোবাই সন্ধ্যাক মাতিলে,

"সন্ধ্যা বা"

ঘূৰি চাই দেখে তাইৰ জুনিয়ৰ ৰিম্পী ৰৈ আছে।

"কোৱা ৰিম্পী।"

"মানে সন্ধ্যা বা, আমি ফেয়াৰৱেলৰ বাবে পইছা তুলি আছিলোঁ। তুমি যদি পাৰা দি দিব পাৰা এতিয়াই।"

অলপ আগলৈকে হাঁহি থকা সন্ধ্যা আৰু অভিমন্যুৰ মুখ দুখন যেন লগে লগে এন্ধাৰে আৱৰি ধৰিছিল। ফুলবোৰ ফুলি ফুলি যিদৰে সৰি যায়, ভাল লগা দিনবোৰো এদিন গুচি যায়। সময় যে পাখিলগা কাঁড়। বুকুৰ উশাহটো গধূৰ হৈ আহিছিল সন্ধ্যাৰ। আকাশখনত তেতিয়া বেলিটো নাই।

সময় গৈ থাকিল নৈৰ সোঁতৰ দৰে। ইউনিভাৰ্চিটীৰ জীৱনত কোনেও নিবিচৰা সময়খিনি আহি পালে।

"ফেয়াৰৱেল"। পইছাটো দিয়াৰ বাহিৰে ডিপাৰ্টমেণ্টৰ ফেয়াৰৱেলৰ একো কামতে লগা নাই সন্ধ্যা। কি বুলি লাগিব তাই? কোন সতে তাই অভিমন্যুৰ ফেয়াৰৱেলৰ কামত লাগে? অভিমন্যু বিহীন কেম্পাছটো কল্পনা কৰিয়েই চোন বুকু কঁপি উঠে তাইৰ। কিন্তু সময়ৰ এই নিষ্ঠুৰ ৰূপ সহ্যতো কৰিবই লাগিব।

আজি ডিপাৰ্টমেণ্টত ফেয়াৰৱেল। সন্ধ্যা আৰু অভিমন্যু একেলগে আহিছে। অভিমন্যুয়ে বাৰে বাৰে কোৱা সত্বেও মযূঁৰ নাহিল। অনুৰাধাহঁতে আগভাগ লৈ কামবোৰ কৰি গৈছে। বাৰে বাৰে চকুটোত পানীৰে পূৰ হৈ উঠিছে সন্ধ্যাৰ। যেন কিবা ভয়ংকৰ ভাৱে খালী হৈ যাব বুকুখন।

প্ৰগ্ৰাম আৰম্ভ হ'ল। প্ৰফেচাৰৰ বক্তৃতাৰ পাছত দুই এজনে গানো গালে। লগতে এটা কোৰাছো হ'ল অনুৰাধাৰ নেতৃত্বত। তাৰ পাছতে ৰিকুৱেষ্ট আহিল, অভিমন্যুয়ে এটা গান গাব লাগে। প্ৰথমে নাযাওঁ নাযাওঁ কৰিছিল সি। অভিমন্যুয়ে গান বেয়া নাগাই,

Kaushik

কিন্তু এনেকুৱা অনুষ্ঠানত বেছি নাগাই সি। শেষত সকলোৱে কওঁতে গাবলৈ ল'লে সি। জুবিনৰ এটা মৰম লগা গীত,

"পোহৰ বুলি জীয়ালোঁ মনে মনে প্ৰাণতে

হাতেৰে ঢুকি নোপোৱা জোনৰে ছবি

পাখি মেলি সপোনে আগছিলে জীৱনক

কোনোবা দৰদী আকাশৰ নীলিমাতে

সেই মন

আজি যেন অসীমত

লীন হোৱা তৃষা

কিদৰে পাহৰোঁ মই"

আৰু ৰৈ থাকিব নোৱাৰিলে সন্ধ্যা। বহু সময় ধৈৰ্য ধৰি নিজক ৰখোৱাৰ পাছত অভিয়ে গান গাই থকাৰ মাজতে হলটোৰ পৰা দৌৰি ওলাই গ'ল তাই আগফালে। অভিমন্যুয়ে গাই আছিল,

"এন্ধাৰ হ'ব নোৱাৰোঁ

মচি দিব নোখোজো

পাখি মেলা অতীতক কিদৰে পাহৰোঁ"

বাহিৰত গৈ ষ্টেপতে বহি হুকহুকাই কান্দি দিলে সন্ধ্যাই। বুকুখন যেন ডেই পুৰি গৈছে তাইৰ। চকুপানী যেন শেষ নহ'বই আজি। এনেতে অনুৰণ আহি বহিছিল তাইৰ কাষত।

"অলপ ধৈৰ্য ধৰা সন্ধ্যা।"

নাই, সন্ধ্যাই ৰখাব পৰা নাছিল নিজক। অনুৰণে চকুপানী মচি দিছে তাইৰ। লৈ অনা বটলটো খুলি পানীও খোৱাই দিলে। এনেতে অভিমন্যু পাইছিলহি সেইখিনি। তাৰ লগে লগেই জুৰি অনুৰাধাহঁতো ওলাই আহিল। অভিমন্যুয়ে তাইৰ কাষ চাপি ক'লে,

"ঐ, পাগলী। কৈছিলোঁ নে ফাৰ্ষ্ট ছেমতে, মোৰ ফেয়াৰৱেলত তইয়ে বেছিকৈ কান্দিবি"

Kaushik

সন্ধ্যাই আৰু জোৰেৰে কান্দি সাৱটি ধৰিছিল তাক। আলফুলে আকোঁৱালি ধৰিছে অভিমন্যুয়েও। হুকহুকাই কান্দি থকা সন্ধ্যাক বুজাইছিল সি,

"তই এনেকুৱা কৰিলে মোৰ কি হ'ব কচোন।"

এইবাৰ ৰৈ থাকিব নোৱাৰি জুৰিয়েও সাৱটি ধৰিলেহি সন্ধ্যাহঁতক। হুকহুকাই কান্দি উঠিল তাইও। সিহঁতৰ নিভাঁজ মৰমবোৰত অনুৰাধাৰ চকুৰেও বৈ আহিছিল চকুপানী। নীৰৱে অনুৰণ আঁতৰি আহিছিল তাৰ পৰা।

"জুৰি, বেলেগ একো নালাগে। মাত্ৰ মোৰ সন্ধ্যাক অকলে এৰি নিদিবি অ' তহঁতে।"

অভিমন্যুয়ে ফেঁকুৰি উঠি কৈছিল। জুৰিয়েও ক'লে,

"ধেৎ, তই সেইবোৰ কিয় ভাবিছ হা?"

এনেতে পৰী আৰু প্ৰিয়া ওলাই আহিল বাহিৰলে,

"ঐ, প্ৰগ্ৰাম শেষ হোৱাই নাই। পেকেট লাঞ্চ আছে। আহ আকৌ তহঁত ভিতৰলৈ।"

অভিমন্যুহঁতক মাতি নিলেহি সিহঁতে। সন্ধ্যাক হাতত ধৰি লৈ গৈছিল অভিমন্যুয়ে।

পাটকাইৰ ফেয়াৰৱেলৰ দিনা ময়ূঁৰ ঘৰলৈ যাব ওলাল।

"তই বলিয়া হৈছ নি অলপ? এট লিষ্ট হোষ্টেল ফেয়াৰৱেলততো থাক।" সি বেগত কাপোৰ ভৰাই থকা দেখি অভিমন্যুয়ে ক'লে। ময়ূঁৰে তাৰ ফালে নোচোৱাকৈয়ে ক'লে,

"কাম আছে মোৰ।"

"একো কাম নাই। চবেই ফেয়াৰৱেল দিছে মোক। তই খালি আঁতৰি ফুৰিছ।"

অভিমন্যুৰ কথাত ময়ূঁৰ তাৰ সমুখলৈ আহি তাক জোকাৰি দি ক'লে,

"মই ফেয়াৰৱেল দিব লাগে তোক? মই দিব লাগে হা?"

একো নকৈ ময়ূঁৰক জোৰেৰে সাৱটি ধৰিলে অভিমন্যুয়ে। অলপ সময় মনে মনে থাকি ফেঁকুৰি উঠিল ময়ূঁৰ।

"ময়ূঁৰ, ভাই অলপ ধৈৰ্য ধৰ অ' তহঁতে। তহঁতক এনেকৈ বুজাবলৈ হ'লে মই কি কৰিম ক।"

Kaushik

ভঙা ভঙা মাতেৰে অভিমন্যুয়ে ক'লে। কি হ'ব সি গুছি যোৱাৰ পাছত এই ময়ূঁৰ আৰু সন্ধ্যাৰ। তাক লৈয়ে যে সিহঁতৰ পৃথিৱীখন। আৰু সিয়েই বা পাৰিব কেনেকৈ আঁতৰি থাকিব সিহঁতৰ পৰা।

অভিমন্যুৰ অনুৰোধত ময়ূঁৰ ৰৈ গ'ল ফেয়াৰৱেলত। পাটকাইৰ বহল বাৰান্দাখনক ষ্টেজ বনাই লৈ অহা যোৱা ৰাস্তাটোত চকী পাৰি দিছিল। ষ্টেজটো বৰ ধুনীয়াকৈ সজাইছিল ল'ৰাহঁতে। লাইট, বেলুন লগোৱাৰ লগতে Farewell Seniors বুলিও লিখি দিছিল। সেইদিনা পাটকাইৰ ফেয়াৰৱেলত গোটেই হোষ্টেলে যেন কান্দিছিল। প্ৰথমতেই এজন ল'ৰাই গোৱা গানটোৱেই আৱেগিক কৰিছিল সকলোকে,

"Its been a long day without you my friend

And I tell you all about it when I see you again"

ডিপাৰ্টমেন্টৰ দৰে অভিমন্যুয়ে ইয়াতো গান গাব লগা হ'ল শেষৰ ফালে। প্ৰাঞ্জলে announce কৰোঁতে শেষলৈ ফেঁকুৰি দিছিল,

"যোৱা চাৰি বছৰে যাৰ বাবে আমি নাটকত প্ৰতিবাৰেই পুৰস্কাৰ পাই আহিছোঁ। পাটকাইৰ ডাইনিঙৰ পৰা আগফালৰ ফিল্ডলৈকে সকলোতেই যাৰ দপদপনি আমাৰ অভিমন্যু দা। এবাৰ আমাৰ বাবে এটা শেষ গান।"

আৰু একো ক'ব পৰা নাছিল সি। অভিমন্যুয়ে উঠি গৈ আঁকোৱালি লৈছিলগৈ তাক। মাইকটো ধৰি অভিমন্যুয়ে কৈছিল,

"একেবাৰে একো নুবুজাটো হৈ আহিছিলোঁ। মোক পাটকাইয়ে ডাঙৰ কৰিলে। মানুহ দেখুৱালে। মৰম ভালপোৱা কি শিকালে। আৰু মোক মোৰ জীৱনৰ চবতকৈ ভাল গিফ্ট মোৰ ভাইক এই পাটকাইয়েই দিলে।"

কথাখিনি কৈ অভিমন্যুয়ে আঙুলিয়াইছিল ময়ূঁৰলৈ। অনুৰণে ময়ূঁৰক আনি তাৰ কাষতে থিয় কৰাই দিলে। অভিমন্যুয়ে এটা হাতেৰে ময়ূঁৰক ধৰি গাইছিল,

"কিদৰে পাহৰোঁ তোৰে মৰমকে তোৰে চেনেহকে

কথা দিলোঁ আজি আনিমেই আজুৰি সপোনকে

আগলে হ'বি তই

মোৰ পৰিচয়

Kaushik

আৰু লাগিছেনো কি

ল'ৰালি আজিও চোন আঁতৰা নাই--"

পিছৰখিনিৰ বাবে মাইকটো আগুৱাই দিছিল ময়ূঁৰলৈ। সিও গাই গৈছিল,

"কিনো ক'ম দাদা মইও তোৰেহে ভাই"

লগে লগে বিদ্যুৎ, ৰক্তিম, প্ৰাঞ্জল আনকি অনুৰণো আহি অভিমন্যুক সাৱটি ধৰি একেলগে চিঞৰি চিঞৰি গাইছিল,

"মনলৈ উভতি আহে ল'ৰালি

তোৰে মোৰে এটি এটি ধেমালি"

গাই গাই পাটকাইৰ বাৰান্দাতে বহি হুকহুকাই উঠিছিল অভিমন্যুয়ে। জীৱনৰ চাৰিটা বছৰ সি কটাইছে ইয়াত। কত কাহিনী হুঁমুনিয়াহ হৈ সৰিছিল ইয়াতেই। আৰু আজি ইয়াৰ পৰাই বিদায় ল'ব লগা হৈছে। অভিমন্যুৰ লগতে প্ৰথম বাৰৰ বাবে ফেঁকুৰি উঠিছিল অনুৰণেও। অভিমন্যুক সাৱটি ধৰি কৈছিল সি,

"আমি আছোঁ ইয়াত আৰু এবছৰ। মাজে মাজে আহি থাকিবা ভাই।"

মুখেৰে একো নকৈ মাত্ৰ তাক সাৱটি ধৰিছিল অভিমন্যুয়ে।

Kaushik

ফেয়াৰৱেলৰ পাছতে আৰম্ভ হৈছিল পৰীক্ষাৰ যুদ্ধ যাত্ৰা। ইফালে পৰীক্ষাৰ উপৰিও বিএডৰ ৰিপোৰ্ট বনাই অৱস্থা কাহিল হৈছে অভিমন্যুহঁতৰ। পঞ্চাছটাকৈ লেশ্যন প্লেন হাতেৰে লিখি লিখি হাত ছিগি যাওঁ যাওঁ অৱস্থা। এদিন অশান্তিতে অনুৰণক কৈছিল সি,

"অনুৰণ, জীৱনত চব কাম কৰিবা। কিন্তু এই বি এড বোলা বস্তুটো নকৰিবা কেতিয়াও।"

মাজে মাজে অনুৰণ আৰু ময়ূঁৰেও টাইপ কৰি মেলি দিছিল তাক। পোষ্টাৰৰ ছবিবোৰ আঁকি দিছিল সন্ধ্যাই। সকলোৰে তৎপৰতাত বিএডৰ ৰিপোৰ্ট শেষ হৈছিলগৈ। প্ৰায় চল্লিছ হেজাৰ শব্দৰ সেই ৰিপোৰ্টটো দেখাতেই ভয় লগা হৈছিল।

এইবোৰৰ লগে লগেই পৰীক্ষা। অভিমন্যুহঁতৰ বাবে যেন আৱেগিক হ'বলৈও সময় দিয়া নাই ইউনিভাৰ্চিটীয়ে। পৰীক্ষা দি শেষ হোৱাৰ পাছতহে গা চেবাইছিল সিহঁতৰ, যে এতিয়া সঁচাকৈয়ে শেষ।

কাইলৈ অভিমন্যু যাবগৈ। দুদিন পাছত তাৰ এন্ট্ৰেন্স আছে নেচনেল স্কুল অৱ ড্ৰামাৰ। আজি ৰাতি অনুৰণৰ ৰুমতে পাৰ্টি। অভিমন্যুৰ ফেয়াৰৱেল পাৰ্টি। নীলাচলৰ পৰা ৰাজদ্বীপ, আৰিফহঁতো আহিছে। বটলৰ নিচাত সিহঁতবোৰ উভতি গৈছিল পুৰণি দিনলৈ। বিশ্বজিতক সাৱটি ধৰি অভিমন্যুয়ে কৈছিল,

"ভাই, চাৰি বছৰত বহুত জোকালোঁ বে তোমাক। পাৰিলে বেয়া চেয়া--"

বিশ্বজিতেও নিচাভৰা মাতেৰে কৈছিল,

"এই ভাই। কি কৈছা বে। তুমিতো আমাৰ হিৰো হয়।"

"হয় বে। আমাৰ গ্ৰুপটোৰ তই জান আছিলি বে অভিমন্যু। চালা, টাইমবোৰ কেলে গুছি যায় বে।" আৰিফেও ফুটা নুফুটা মাতেৰে ক'লে।

সিহঁতে নাচিছিল। গান গাইছিল। পাৰ হৈ গৈ থকা সময়বোৰক থপিয়াবলৈ যেন সকলো কৰিছিল। শেষত গোটেই কেইটা অভিমন্যুৰ লগত শেষ বাৰৰ বাবে কেম্পাছটো ফুৰিবলৈ গ'ল। শৰাইঘাটৰ পৰা প্ৰিয়ানুজো আহি গৈছিল সিহঁতৰ লগত।

ইউনিভাৰ্চিটীৰ এটা এটা গলীত ঘূৰি যেন ফেঁকুৰিছিল অভিমন্যুয়ে। প্ৰতিটো গলী, প্ৰতি টুকুৰ ঠাইতেই যেন এটা এটা কাহিনী।

"ঐ, ৰাজদ্বীপ মনত আছে নে ইয়াৰ পৰা যে তুমি এজনী ছোৱালী জোকাইছিলা মোৰ লগত বাজি মাৰি।"

নীলাচলৰ পুলটোত বহি ৰাজদ্বীপক অভিমন্যুয়ে ক'লে। তাতেই এদিন সি ৰাজদ্বীপক চেলেঞ্জ কৰিছিল, সি যদি আগফালেৰে আহি থকা ছোৱালীজনী জোকাব পাৰে সি তাক পিছদিনা মাংস পৰঠা খোৱাব। ৰাজদ্বীপেও সঁচাকৈ জোকাইছিল ছোৱালীজনী।

"ঐ আৰিফ মনত আছে নে, ইয়াৰ পৰা তোৰ চাইকেল যে নিছিল।"

"প্ৰিয়ানুজ দা, দীপক দাক যে ইয়াতেই ভূত বুলি ভয় খোৱাইছিলোঁ মনত আছে?"

"Essential ত বাৰ্থডে আৰু নাপাওঁ বে।"

Kaushik

"কমিউনিটি হলত চিঞৰিব নোৱাৰিম আৰু কেতিয়াও।"

"কে বি আৰত নাটকৰ ডাইলগ আৰু কেতিয়াও মাতিব নোৱাৰিম।"

কথাখিনি কৈ কৈ ৰাস্তাৰ মাজতে শুই পৰিছিল অভিমন্যু।

প্ৰিয়ানুজে দাঙি ধৰিছিল তাক,

"অভিমন্যু, ব'লা ৰুম ব'লা। বেছি নিচা হৈছে তোমাৰ ব'লা।"

"মোক অলপ থাকিবলৈ দিয়ক প্ৰিয়ানুজ দা। অলপ ইয়াতে পৰি থাকোঁ মই। এই ৰাস্তাটোকে গচকি কিমান অহা যোৱা কৰিলোঁ। আজি-- আজি চালা ইয়াকো কিবা ভাল লাগি গৈছে বে।"

অনুৰণে ইংগিতেৰে প্ৰিয়ানুজহঁতক ক'লে,

"মই লৈ যাম। আপোনালোক যাওঁক।"

প্ৰিয়ানুজহঁত যাবলৈ ওলাল। আৰিফে অভিমন্যুক সাৱটি হাওহাওকৈ কান্দি উঠিছিল শেষ বাৰলৈ,

"ভাই, তই নাথাকিলে ইউনিভাৰ্চিটীখনেই খালী হৈ যাব বে।"

এটা এটাকৈ গোটেইবোৰ গুছি গ'ল। ৰাস্তাৰ মাজত শুই আছে অভিমন্যু। কাষতে অনুৰণ। এবাৰত সি উঠি লৈ অনুৰণক ক'লে,

"অনুৰণ, ময়ূঁৰক চাবা ভাই। মই নাথাকিলে যে তাৰ--"

আৰু ক'ব নোৱাৰি কান্দি উঠিছিল অভিমন্যুয়ে। অনুৰণে সাৱটি ধৰি কৈছিল তাক,

"চিন্তা নকৰিবা অভিমন্যু। মই থাকিম সদায় তাৰ লগত। এতিয়া যাওঁ ব'লা। ৰাতি বহুত হ'ল।"

অনুৰণৰ গাত ভেঁজা দি উঠি আহিছিল অভিমন্যু। চেঁপা কান্দোন এটা বৈ আছিল তাৰ। ৰুমৰ বিচনাত পৰিয়েই মূৰটো গুজি দিছিল গাৰুটোত। বাহিৰৰ বতাহ জাকো যেন বৰ দুখেৰে বলিছে।

Kaushik

ৰাতিপুৱা যাবলৈ ওলোৱাৰ আগত গোটেই হোষ্টেলখন এবাৰ ঘূৰি পকি চাইছে অভিমন্যুয়ে। উকা ডাইনিং হলটোত সোমোৱাৰ লগে লগেই যেন এজাক মান চিঞৰহে শুনিছে,

"অভিমন্যু দা, ভাত খালে?"

"দাদা, ক্লাছ শেষ?"

"দাদা, চাওঁকচোন কি গেলা খানা আজি।"

কমনৰুমটোৰ ৱালবোৰত যেন আজিও বাজি আছে ভাৰ্চিটী উইকৰ চিঞৰবোৰ,

"বৰষা পথাৰত অ' ভনীটি ৰহেদৈ---"

আগফালৰ খালী ঠাইখিনিত যেন এতিয়াও দেখিছে সি ক'ৰবাত ময়ূঁৰ আৰু সি দৌৰি আছে।

"অভি, ফটুৱা নেকি তই।"

মাতবোৰ যেন এতিয়াও গোটেই হোষ্টেলখনতে বাজি আছে।

নিজৰ ৰুমটোত শেষ বাৰলৈ সোমাওঁতে চকুপানী নিজে নিজে বৈ আহিছে অভিমন্যুৰ। শেষ, চাৰি বছৰৰ এই যাত্ৰা আজিয়ে শেষ। অভিমন্যুৰ লগতে ময়ূঁৰো ওলাইছে। ইফালে সন্ধ্যাও। মিছন চাৰিআলিলৈকে একেলগে যাব সিহঁত। তাৰ পৰা অভিমন্যু গোলাঘাট, সন্ধ্যা বিশ্বনাথ আৰু ময়ূঁৰ নগাঁৱৰ গাড়ীত উঠিবগৈ।

হোষ্টেলৰ বাহিৰত চন্দ্ৰালী, প্ৰিয়ানুজ, হিমাদ্ৰী, সিদ্ধাৰ্থহঁত ৰৈ আছে। অভিমন্যু আহি পাওঁতেই হিমাদ্ৰীয়ে ক'লে,

"আকৌ এদিন কোনোবা ছোৱালী পলুৱাম আমি।" দুখৰ মাজতো গিৰ্জনি মাৰি হাঁহি উঠিলে সিহঁতে। চন্দ্ৰালীয়ে কিতাপ এখন দিছিল কৈছিল অভিমন্যুক,

"সময়বোৰ আমাৰ আছিল। আৰু সদায় আমাৰেই হৈ থাকিব।"

সিদ্ধাৰ্থইও আগুৱাই আহি ক'লে,

"আমি য'তেই নাথাকোঁ, আমি সদায় আমাৰ হৈ থাকিম।"

kaushik

আহি আহি পাটকাইৰ বাছষ্টেণ্ডত ৰ'লহি সিহঁত। অলপ পাছতে বাছ আহিল। সন্ধ্যা উঠিয়ে আছিল বাছত। অভিমন্যুয়ে পাটকাইলৈ চাই মূৰ দোঁৱালে এবাৰ। তাৰ পাছতে ময়ূঁৰক লগত লৈ বাছত উঠিল। প্ৰিয়ানুজে চকুপানী মোহাৰিছিল। চন্দ্ৰালীয়েও ফেঁকুৰিছে। সকলোৰে মৰমৰ অভিমন্যুক হাত জোকাৰি বিদায় দিলে সিহঁতে।

মিছন চাৰিআলিত ৰ'লগৈ বাছখন। অভিমন্যুহঁত তাতে নামিল। গোটেই বাটটো এটাইও মাত মতা নাই। বাছৰ পৰা নামিয়ে অভিমন্যুয়ে ক'লে,

"আইচক্ৰীম খাবি?"

ময়ূঁৰ আৰু সন্ধ্যাই আচৰিত হৈ চাইছিল তালৈ। লগে লগে হাঁহি উঠিল দুইটাই,

"ৱাহ, কোনে কৈছে চাচোন আজি।"

আইচক্ৰীম কিনিছিল সিহঁতে। দুই এটা কথা পাতি খাই থকাৰ মাজতেই অভিমন্যুয়ে সন্ধ্যাক ক'লে,

"সন্ধ্যা"

"ক"

"ফৰ দা লাষ্ট টাইম"

"কি লাষ্ট টাইম?"

সন্ধ্যাই একো নুবুজিলেও ময়ূঁৰে কথাটো গম পাই আঁতৰি গ'ল। লগে লগে অভিমন্যুয়ে সন্ধ্যাৰ পৰা আইচক্ৰীমটো থপিয়াই লৈ দৌৰ দিলে ফুটপাথটোৰে।

"কেনেকুৱা অভদ্ৰ ল'ৰা এইটো। ঐ, ৰ'লিনে?" বুলি পিছে পিছে গৈছে সন্ধ্যা। লগে লগে ময়ূঁৰো। ফুটপাথটোৰ মূৰত গৈ অভিমন্যু ৰ'ল। আইচক্ৰীমৰ শেষৰ কণ সন্ধ্যাক খোৱাই দিলে সি। তাৰ পাছতে সন্ধ্যাক বিশ্বনাথৰ বাছখনত উঠাই দিবলৈ গ'ল সিহঁত। বাছত উঠাৰ আগত সন্ধ্যাই আকৌ অভিমন্যুক ধৰি উচুপি উঠিল। খুব কষ্টৰে নিজক ৰখাই অভিমন্যুয়ে ক'লে,

"নাকান্দিবি সন্ধ্যা। মইতো পাৰ হৈ যোৱা সময় নহয় যে উভতি নাহিম। কথা দিছোঁ তোক। জীৱনত যিদিনাই এনেকুৱা অনুভৱ হ'ব যে তোৰ কাষত কোনো নাই, গোটেই

Kaushik

পৃথিৱীয়ে তোৰ পৰা আঁতৰি গৈছে, সেইদিনাই মই আহি তোৰ কাষত থিয় দিম। প্ৰমিজ, মই আকৌ আহিম।"

সন্ধ্যা বাছত উঠিল। এইবাৰ ময়ূঁৰক লৈ নগাঁৱৰ বাছখনৰ কাষলৈ আহিল অভিমন্যু। বাছত ময়ূঁৰৰ বেগটো দি অভিমন্যুয়ে ক'লে,

"এতিয়াৰ পৰা ৰাতি বেছি দেৰিলৈকে ঘূৰি নুফুৰিবি।"

"উম।"

"ৰাস্তাত খোজ কাঢ়োতে হেডফোন লগাই নল'বি।"

"উম।"

"পঢ়া শুনাত মন দিবি অলপ। মই ফোন কৰি থাকিম কিন্তু সদায়।"

এইবাৰ ফেঁকুৰি উঠিল ময়ূঁৰে,

"তই থাকি যা না অভি। প্লিজ থাকি যা।"

ময়ূঁৰক বুকুত সাৱটি লৈ অভিমন্যুয়ে বুজাইছিল তাক,

"মই সদায় আছোঁ তোৰ লগত ভাই। জীৱনত যেতিয়াই মোক বিচাৰ, তেতিয়াই পাবি মোক।"

Kaushik

এনেতে হৰ্ণ বাজিল। বাছ যাবৰ হ'ল। ময়ূঁৰক উঠাই দিলে অভিমন্যুয়ে,

"যা ভাই। মই সদায় আছোঁ তহঁতৰ মাজতে।"

ময়ূঁৰক উঠাই নিজৰ বাছলৈ আহিল অভিমন্যু। ছিটটোত বহাৰ লগে লগে অথনিৰ পৰা জোৰ কৰি ৰখাই থোৱা কান্দোনখিনি পাৰ ভাঙি বৈ আহিছিল তাৰ। চাৰিটা বছৰৰ ছবি চকুৰ আগত ভাঁহিছিল এখন এখনকৈ। বাছখন চলিবলৈ লৈছে। কাণত হেডফোন ডাল লগাই ল'লে অভিমন্যুয়ে। বাজি আছিল হিন্দী গান এটা,

"Aaja ladein phir khilono ke liye

Tu jeete main haar jaun

Aaja karein phir wohi shararate

Tu bhaage main maar khaun

Mitthi si woh gaali teri

Sunne ko taiyaar hoon main

Tera yaar hoon main

Tera yaar hoon main...."

(আগলৈ)

#নিৰিবিলি

Part 104

কাৰোবাৰ হাতত ধৰি বহুদূৰ আগুৱাই যোৱাৰ পাছত হঠাৎ তেওঁ হাতখন এৰি দিলে সেই মূহুৰ্তত অনুভৱ হোৱা শূণ্যতাখিনি জীৱনৰ পৰা কোনোবা এজন নোহোৱা হৈ গ'লেও অনুভৱ নহয়।

"ৰুণজুন, থৰ লাগিলি যে? যা আকৌ, গাড়ীৰ এণ্ট্ৰী কৰি আহ।"

মেইন গেটৰ কাষতে ৰৈ যোৱা গাড়ীখনৰ পৰা ওলাই আহি একেথৰে ভিতৰলৈ সোমোৱা ৰাস্তাটোলৈ চাই থকা সন্ধ্যাক মাকে চিঞৰিলে। নাই, খোজটোও যেন দিব পৰা নাই আজি তাই। ৰৈ গৈছে, থৰ লাগিছে। ইমান আপোন ইউনিভাৰ্চিটীখন আজি যে ইমান অচিন হৈ পৰিছে। এই নাহৰবোৰ, সৌ কাঞ্চনবোৰ আজি যেন সকলো লঠঙা। কোনে বুজিব একেলগে গৈ থকা হাতখন এৰ খালে হোৱা ভয়ংকৰ শূণ্যতাখিনিৰ যন্ত্ৰণা। অভি ; কিয় গুছি গ'ল এই ল'ৰাটো!

"ৰুণ, সোনকাল কৰ আকৌ। আমি উভতি যাব লাগিব নহয়।"

এইবাৰ দেউতাকে ক'লে। দীঘলকৈ উশাহ এটা টানিলে তাই। তাৰ পাছত খোজ লৈছিল ছিকিউৰিটী টেবুলখনলৈ। তাতে গাড়ী নম্বৰ এণ্ট্ৰী কৰি পাচখন লৈ উভতি আহিল গাড়ী। ষ্টাৰ্ট দি দেউতাকে গাড়ী লৈ গৈছিল সোৱণশিৰীৰ ফালে।

প্ৰতি টুকুৰা ঠাই দেখিয়েই যেন বুকুখন দহি গৈছে সন্ধ্যাৰ। সৌটো লাইব্ৰেৰী ; কত দিন যে অভিমন্যুৰ লগত ইয়াতেই পঢ়িবলৈ আহিল, সৌখন এমিনিটী ; কেই গিলাছ চাহ যে আড্ডাৰ সাক্ষী হৈছিল ঘূৰণীয়া টেবুলত। আজি চোন সকলো খালী খালী। এৰা, অভিমন্যুক লৈয়ে আছিল চাগে তাইৰ পৃথিৱীখন। কিন্তু সি যে এতিয়া বহু দূৰৈত। ইয়াৰ পৰা যোৱাৰ পাছত এবাৰ ফোনত অভিয়ে তাইক কৈছিল,

Kaushik

"তহঁতৰ নেক্সট ছেমিষ্টাৰৰ ক্লাছ কেতিয়াৰ পৰা হয় ক'বি। সেইদিনা মইও গুচি যাম। ময়ূঁৰৰ ৰুম আছেই যেতিয়া থকাৰ অসুবিধাতো নাইয়ে।"

সন্ধ্যাই আশা কৰিছিল, প্ৰথম দিনা আহিয়ে অভিক পালে তাইৰ মনটো পাতল লাগিব। কিন্তু তাইৰ আশা অপূৰণ ঘোষণা কৰিবলৈকে সেইদিনাৰ ফোনটো আহিল। অভিমন্যুয়ে কওঁ নকওঁকৈ কৈছিল,

"মই এন এচ ডি দিল্লীত ছিট পালোঁ"

"কি, সঁচা!"

চিঞৰি উঠিছিল সন্ধ্যা প্ৰথমতে। তাই জানে, নেচনেল স্কুল অৱ ড্ৰামা এটা সপোন আছিল অভিমন্যুৰ বাবে। তাৰ সপোনৰ জগতখনৰ প্ৰথমটো খোজ। সন্ধ্যাৰ বাবে ইয়াতকৈ সুখৰ কথা আৰু কি হ'ব পাৰে। কিন্তু যেতিয়া সি কৈছিল,

"অহা সপ্তাহতে মই দিল্লীলৈ যামগৈ, আকৌ কেতিয়া অহা হয় ক'ব নোৱাৰোঁ।"

তেতিয়াহে সন্ধ্যাই অনুভৱ কৰিছিল যে অভি তাইৰ পৰা এতিয়া আৰু দূৰলৈ যাব ওলাইছে। গোলাঘাটত থকা হ'লে মাজে সময়ে ইয়ালৈ আহি থাকিব পাৰিলে হয়, কিন্তু এতিয়াতো সি অসমতেই নাথাকে। গতিকে! নাই আৰু ভাবিব পৰা নাছিল তাই।

"বঢ়িয়া, একদম দিল্লীৱালা হৈ যাবি এইবাৰ।"

কোনোমতে হাঁহি হাঁহি অভিমন্যুক কথাটো কৈ ফোনটো কাটিয়েই কান্দোনত ভাঙি পৰিছিল সন্ধ্যা। সশব্দে কান্দি উঠিছিল তাই। কিয় এনে হয়, কিয় এই অদ্ভূত খেলা কৰে জীৱনে! ইউনিভাৰ্চিটীত সোমাওঁতেই সিহঁতে জানিছিল যে এই যাত্ৰা এদিন শেষ হ'বই। অভিমন্যু যে এবছৰ আগতে যাব সেয়াও গম পাইছিল প্ৰথমতেই। তথাপিও যে মানি ল'ব পৰা নাই। তাৰ এই সফলতাত সন্ধ্যা বহুত সুখী, কিন্তু তাৰ মাজতো বুকুখনত এই আপোনজনক দূৰলৈ পঠোৱাৰ যন্ত্ৰণাই বাৰুকৈয়ে কোবাইছিল। নাই, অভিমন্যু সন্ধ্যাৰ প্ৰেম নহয়। কিন্তু কিছুমান সম্পৰ্ক প্ৰেমতকৈও যে ঊৰ্ধত।

অগত্যা মানি লৈছিল সন্ধ্যাই সকলো। নিজকে সাজু কৰিছিল অভি বিহীন ইউনিভাৰ্চিটীখনৰ বাবে। সিও কৈছিল,

Kaushik

"দিনটোৰ চৌবিছ ঘণ্টাৰ আধা ঘণ্টা সদায় তোৰ বাবে ৰাখিম। ফোন, ভিডিঅ' কল যিয়ে নহওঁক, সদায়েই কৰিম।" আৰু সেইদৰেই আজি ৰাতিপুৱাও তাই ইয়ালৈ আহিবলৈ ওলাওঁতে সি এবাৰ ফোন কৰিছিল।

কিন্তু এইবোৰৰ পাছতো যেন এটা ভয়লগা নিসংগতাই খেদিব লৈছে সন্ধ্যাক। নাজানে তাই, এই এটা বছৰ কিদৰে পাৰ হ'ব। তথাপি আশা কৰে, সকলো ভালেৰেই যাব। কাৰণ ইয়াত এতিয়াও অনুৰণ আছে। তাইৰ মৰমৰ অনুৰণ।

"ৰুণ, নাম আকৌ। কি ভাবি আছ?"

মাকৰ মাতটোত তন্দ্ৰা ভাঙিল সন্ধ্যাৰ। সিহঁতৰ গাড়ীখন সোৱণশিৰীৰ মুখত ৰৈছেহি। খুব কষ্টৰে মাক দেউতাকৰ আগত চকুলো লুকুৱাই সন্ধ্যা নামি গ'ল। মাকেও তাইৰ লগতেই নামি গৈ ৰুমটো চিজিল কৰি দিলে। কিছু সময়ৰ পাছতে তাইক থান থিত লগাই মাকহঁত আকৌ ঘূৰি গ'ল ঘৰলৈ। মাকহঁত যোৱাৰ পাছতে মনটো আকৌ উৰুঙা হৈ পৰাত বিচনাত বাগৰ দিলে সন্ধ্যাই। প্ৰথমতে বিদিশা বা, ৰীণা বাহঁত, তাৰ পাছত পথী আৰু এতিয়া অভিমন্যু। ইয়ালৈ অহাৰ পৰা এই চাৰিবছৰত কমবোৰ মানুহ আহিছিল নে সন্ধ্যাৰ জীৱনলৈ। সময়ৰ ভাঁজত তেওঁলোক আঁতৰি গ'ল। প্ৰতিশ্ৰুতিবোৰতো মাত্ৰ আৱেগত কোৱা সংলাপহে। জীৱনৰ পাকত সেইবোৰ ক'ৰবাতে ৰৈ যায়। প্ৰতিমাহে আহি থাকিম বুলি কোৱা বিদিশা আৰু ৰীণা বাৰ লগত সন্ধ্যাৰ আজিকালি দুই তিনি মাহলৈকে কথা পতা নহয়। মাজে মাজে হোৱাটছ এপৰ ষ্টৰীৰ ৰিপ্লাই আৰু বাৰ্থডে উইছতে সীমাবদ্ধ হৈ ৰৈ যায় সম্পৰ্কবোৰ। নাই, ইয়াত দোষ কাৰো নাই। কোনেও নাজানে, জীৱনৰ কেঁকুৰিত কাৰ বাবে কি ৰৈ আছে। গতিকে সময়ৰ লগে লগে আগবাঢ়িবই লাগিব। বুকুত লৈ স্মৃতিৰ টোপোলাবোৰ। হয়তো এদিন অভিমন্যুও এইদৰেই ধূসৰ হৈ পৰিব সন্ধ্যাৰ জীৱনত। আৰু মাত্ৰ এবছৰ ইয়াত। তাৰ পাছত তাইওতো যাবগৈ লাগিব এই কাঞ্চনৰ মাজৰ পৰা। কথাবোৰ ভাবি ভাবি টোপনিত পৰিছিল সন্ধ্যা। অজানিতে চকুৰে বাগৰি অহা টোপালটোৱে গাৰুটো তিয়াইছিল।

সন্ধিয়া অকলেই ওলাই আহিল সন্ধ্যা। এবাৰ প্ৰিয়ালৈ ফোন লগাইছিল,

"ঐ, মোৰ বস্তু দুটামান কিনিবলৈ আছিল। ওলাই আহিলোঁ প্লাৱিতাৰ লগতে। আহ তই, লগ পাম বাহিৰতে।"

Kaushik

একেদৰে জুৰিয়েও কৈছিল,

"এতিয়া ওলাই নাযাওঁ দে সন্ধ্যা, জাৰ্ণি কৰি আহি খুব ভাগৰ লাগিছে। অনুৰাধাৰো গা ভাল নহয়। কাইলৈ লগ পাম।"

সীমাই ফোন ধৰা নাই, হয়তো শুই আছে। অকলেই খোজ লৈছিল সন্ধ্যাই। বুকুত অলপ হুঁমুনিয়াহেৰে কাঞ্চনজংঘাৰ পুলটোত বহিলহি। এটা দীঘল উশাহ, তাৰ পাছতে একেথৰে চাই ৰৈছে ফিল্ডলৈ। প্ৰতি বছৰেই নতুন নতুন মুখেৰে ভৰি পৰে ফিল্ডখন। তেও যেন সেউজীয়াবোৰৰ অভিযোগ নাই। পুৰণিক বিদায়ো দিয়ে, নতুনক আদৰিও লয়।

"আজি সপোনে কৰিছে গুণ গুণ,

ৰুণজুন বুকুতে বাজিছে ৰুণজুন

নূপুৰে মাতিছে ৰুণজুন

হৃদয়ে হাঁহিছে ৰুণজুন"

কোনোবাই সৰু মাতেৰে গোৰা জুবিনৰ গানটো। ঘূৰি চাওঁতেই মিচিকিয়া হাঁহি এটা খেলি গ'ল সন্ধ্যাৰ মুখত। সমুখত সেয়া অনুৰণ। কিয় জানো, প্ৰথম বাৰৰ বাবে যেন অনুৰণক কিবা অভিমন্যু যেন লাগিল সন্ধ্যাৰ। তাই চাওঁতেই সি ক'লে,

"কি হ'ল? ফোনো ৰিচিভ নকৰা যে তুমি?"

তেতিয়াহে মোবাইলটো চাই সন্ধ্যাই দেখিলে, অনুৰণৰ সাতটা মিচকল। ছেঃ, কেতিয়ানো ফোনটো চাইলেন্ট কৰিছিল তাই পাহৰিলেই। গমেই নাপাই ফোন অহা। পুলটোৰ কাষলৈ চাপি গৈ তাই অনুৰণক ক'লে,

"বহা"

"নবহো এতিয়া। কিবা এটা খাই আহোঁ ব'লা। ভোক লাগিছে।"

অনুৰণৰ কথাত উঠি আহিল সন্ধ্যা। তাৰ লগতে আগবাঢ়িল গোবিনলৈ। সোমোৱাৰ লগে লগে দাজু মানে গোবিনৰ চিনাকি মালিকজনে মাত লগালে তাইক,

"বাইদ' আহিলে, কি খবৰ?"

দাজুৱে ডাঙৰ সৰু চবকে বাইদ' বুলিয়ে মাতে।

Kaushik

"ভালেই দাজু, আপোনাৰ কওঁক।"

বুলি বহিল তাই সমুখৰ বাৰাণ্ডাত থকা টেবুলতে। অনুৰণো বহিছিল লগতে। মেন্যুখন চাই অৰ্ডাৰটো দিওঁতেই হোটেলৰ বয়টোৱে কাৰোবাক কোৱা শুনিলে,

"দাদা, অকলে যে লগৰজন ক'ত?"

"সি ইয়াৰ পৰা গ'ল গৈ। এতিয়া দিল্লীত।"

চিনাকি মাতটো শুনি সন্ধ্যাই চাওঁতেহে দেখিলে কাষৰ টেবুলখনত অকলে বহি আছে ময়ূঁৰ। টেবুলখনৰ ওপৰৰ লাইটটো অফ হৈ আছে বাবে সন্ধ্যাহঁতে মন কৰা নাছিল।

"ঐ ময়ূঁৰ, কেতিয়া আহিলা ঘৰৰ পৰা? ৰুমত দুবাৰ গৈও নাপালোঁ।"

অনুৰণে সুধিলে তাক। ময়ূঁৰেও সিহঁতক এতিয়াহে দেখিলে,

"হ'ল অলপ সময়। ৰুমত নাছিলোঁ। এনেই খোজ কাঢ়ি আছিলোঁ ভিতৰতে।"

"ময়ূঁৰ, ইয়ালৈকে আহা আকৌ। অকলে অকলে আছা।" সন্ধ্যাই মাতিছিল তাক।

"নাই, এই ৰাধা আছিলেই। মোৰ হ'লেই।" বুলি উঠিলেই ময়ূঁৰ। দাজুক পইছাটো দি সি ওলাই গ'ল।

সি ওলাই যোৱাৰ ফালে চাই সন্ধ্যাই অনুৰণক সুধিলে,

"এই ৰাধা ছোৱালীজনী কোন হোষ্টেলৰ নো? ময়ূৰে কৈ থাকে আগতেও তাইৰ কথা।"

কথাটো অনুৰণেও মন নকৰা নহয়। পাটকাইৰ চাদত বহু সময় বহি থাকি আহিও কেতিয়াবা সি কয়,

"ৰাধাৰ লগত কথা পাতি আছিলোঁ।"

কিন্তু ৰাধা কোন অনুৰণতো বাদেই, অভিমন্যুয়েও আজিলৈকে গম নাপালে। সন্ধ্যাৰ প্ৰশ্নৰ উত্তৰ সেয়ে অনুৰণৰ ওচৰতো নাই,

"নাজানো অ', তাক সোধাও নাই। তুমিও চিনি নোপোৱা নেকি?"

"ওহোঁ, নাপাওঁ। চিনাকি বহুত আছে গোটেই কেইখন গাৰ্লছ হোষ্টেলত। কিন্তু ৰাধা নামৰ কাকো নাপাওঁ।"

সন্ধ্যাৰ কথাত অনুৰণ ক'লে,

Kaushik

"অকল ময়ূৰে হে জানে আৰু তেন্তে।"

বুজা নুবুজাৰ ভাৱেৰে বয়টোৱে আনি দিয়া ফ্ৰাইড ৰাইচ খিনি মুখত লৈছিল সন্ধ্যাই।

অকলশৰীয়া ময়ূঁৰক দেখি অভিমন্যুলৈ আকৌ মনত পৰিছিল সন্ধ্যাৰ। আগতে সিহঁত দুইটা প্ৰায় সদায়েই গোবিনলৈ আহে। সেইবাবে এতিয়া ময়ূঁৰক অকলে দেখি হোটেলৰ বয়টোৱেও সুধিছে অভিৰ কথা। অভিমন্যু সন্ধ্যাৰ লগত অনবৰতে থকা নাছিল, তথাপিও তাইৰ ইমান খালী খালী লাগিছে। তেন্তে অনবৰতে একেলগে থকা ময়ূঁৰৰ চাগে কি অৱস্থা হৈছে। সময়ৰ তাগিদাত জীৱনত আগুৱাই যাওঁতে সঁচাকৈ কত যে আৱেগ অনুভূতিক কবৰ দিব লগা হয়।

"অভিৰ খবৰ লৈছিলা?"

খাই থকাৰ মাজত এবাৰ অনুৰণে সুধিলে। ফ্ৰাইড ৰাইচ চামুচ মুখত লৈ সন্ধ্যাই কৈছিল,

"অঁ, দিল্লীত ৰুম ল'লে সি। লগত আৰু লগৰ এজন আছে হেনো, অসমৰে।"

কিছু সময় কোনেও একো কোৱা নাছিল। সন্ধ্যায়ে আকৌ ক'লে,

"এতিয়াও বিশ্বাসেই নহয় সি নাই বুলি।"

"এৰা, হোষ্টেলটোও কিবা খালী খালী লাগিছে।"

অনুৰণৰ কথাটোতো হুঁমুনিয়াহ এটা সৰিছিল।

তাইলৈ চাই সি ক'লে,

"সন্ধ্যা"

"কোৱা"

"মই জানো অভিমন্যু তোমাৰ বাবে কি! তোমাৰ আৰু ময়ূঁৰৰ জীৱনত কেতিয়াও অভিমন্যুৰ ঠাই ল'ব নোৱাৰোঁ। আৰু ল'বও নোখোজো। মাত্ৰ এটাই কওঁ, যে মই আছোঁ।"

"জানো, তুমি থাকিবা।"

"উম, থাকিবতো লাগিবই। কাৰণ--"

Kaushik

হঠাৎ ৰৈ গ'ল অনুৰণ। সন্ধ্যাই তাৰ চকুলৈ চাই সুধিলে,

"কাৰণ?"

"নাই, একো নাই। খোৱা।" বুলি আকৌ খাবলৈ লাগিল অনুৰণ। সন্ধ্যাই মিচিকিয়াই হাঁহিছিল। অনুৰণে নক'লেও তাই বুজি পাই সেই কাৰণনো কি। তথাপি তাই ৰ'ব। তাইৰ বিশ্বাস, এদিন নহয় এদিন অনুৰণে তাইক ক'ব। এদিন আৰম্ভ হ'বই সিহঁতৰ সেউজীয়া কাহিনী।

"কি হে সন্ধ্যা? অভিমন্যু গ'ল বুলিয়ে চিধাই বগা সাজেই ল'লা নেকি?"

পৰীৰ কথাটোৰ লগে লগেই হাঁহিৰ খিলখিলনি উঠিল ক্লাছটোত। মুখেৰে একো নকৈ মাত্ৰ হাঁহি এটা মাৰি সন্ধ্যাই কোৰ্চ ৰেজিষ্ট্ৰেচন ফৰ্মখন ফিল আপ কৰাত লাগিল। আজি সিহঁতৰ শেষৰ বছৰটোৰ প্ৰথমটো দিন। কিয় জানো সন্ধ্যাই আজি বগা চুৰিদাৰযোৰ পিন্ধি আহিল। তাৰেই পৰিণতিত পৰীৰ ইতিকিং উফৰি পৰিছিল তাইৰ গাত। কথাবোৰ দ কৈ নাভাবে তাই। পৰী তেনেকুৱাই। কিন্তু নাভাবোঁ বুলিলেও অভিমন্যুৰ অনুপস্থিতি এই ইতিকিংবোৰেই সোঁৱৰাই থাকে।

Kaushik

ফৰ্ম ফিল আপৰ কামবোৰ কৰি সন্ধ্যাই কেন্টিনত কিবা জেৰক্স এটা লৈছিল মাত্ৰ।

"ঐ পাগলী"

হঠাৎ যেন সেই চিনাকি মাতটো। ঘূৰি চালে সন্ধ্যাই। নাই, কোনো নাই। তাই বেলকণিলৈকো গ'ল। ক্লাছৰ কেইজন মানহে আছিল। কি যে হৈছে তাইৰ। এতিয়াও এনে লাগে যেন অভিমন্যু আহি মাত দিব।

"সন্ধ্যা, চাবমিট কৰিলা ফৰ্ম?"

কথাবোৰ ভাবি থাকোঁতেই কোন সময়ত আহি অনুৰাধা তাইৰ ওচৰ পালেহি সন্ধ্যাই গমেই নাপালে। হাঁহি মুখেৰে মাত লগালে,

"অঁ কৰিলোঁ অনুৰাধা। তুমি?"

"উম, কৰিলোঁ মইও। সন্ধ্যা, এটা কথা সোধো?" কথাটো কৈ তাইৰ কাষ চাপি আহিল অনুৰাধা। সন্ধ্যাই ক'লে,

"সোধা আকৌ।"

"এই পৰীহঁতক ইমান লাই কিয় দিয়া তুমি? এনেকৈ চবৰে আগত কোৱাৰ পাছতো একো নোকোৱাকৈ থাকা যে? সেই কাৰণেইতো চল পায়।"

অনুৰাধাৰ কথাত মুখত হাঁহি এটা ওলোমাই সন্ধ্যাই ক'লে,

"আগতে এবাৰ দুবাৰ কৈছিলোঁ। কিন্তু সলনি নহ'ল। গতিকে এতিয়া একো নকওঁ। ভুল যেতিয়া বাৰে বাৰে হয়, তাক ইচ্ছা বুলি কোৱা যায়। আৰু পৰীয়েও ইচ্ছা কৰিয়েই কৰে।"

"কিন্তু তথাপি তাই এনেকৈ--"

অনুৰাধাৰ কৈ নহওঁতেই সন্ধ্যাই ক'লে,

"তাইৰ কথা মোৰ গাত নালাগে অনুৰাধা। তাই কৈ কিবা ভাল পাইছে কওঁক দিয়া। মই নিজেতো ঠিকে আছোঁ ন। পাছত তাই কেতিয়াবা নিজেই বুজি পাব।"

অনুৰাধা যেন আচৰিত হৈছিল,

"আচৰিত তুমি সন্ধ্যা, বুকুত ইমান ভালপোৱা কেনেকৈ লৈ ফুৰিব পাৰা?"

সন্ধ্যাই শান্ত মাতেৰে ক'লে,

"মই কি ভাবোঁ জানা অনুৰাধা, জীৱনত ভালপোৱা কেনেকৈ ল'ব পাৰি আৰু ভালপোৱা কেনেকৈ দিব পাৰি সেইটোৱে আটাইতকৈ ডাঙৰ শিক্ষা। বাকী এইবোৰ জেদ, হিংসা, ঠাট্টা এইবোৰতো দুদিনীয়া। স্থায়ী মাত্ৰ মৰম আৰু ভালপোৱা।"

অনুৰাধা যেন বাকৰুদ্ধ হৈ গৈছিল। অপলক দৃষ্টিৰে চাই ৰৈছিল সন্ধ্যালৈ,

"মোৰ কেতিয়াবা তুমি হ'বলৈ মন যায় সন্ধ্যা।"

সন্ধ্যাই জোৰেৰে হাঁহি উঠিল,

"ধেৎ, তোমাৰ যে কথা। নিজৰ ঠাইত চব মানুহেই ভাল। আৰু তুমিও অনুৰাধা হিচাপেই শ্ৰেষ্ঠ, সন্ধ্যা হোৱাৰ প্ৰয়োজন নাই।"

কথাটো কৈ আঁতৰি গৈছিল সন্ধ্যা। তাই যোৱাৰ ফালে চাই অনুৰাধাই নিজক কোৱাৰ দৰেই কৈছিল,

Kaushik

"অন্তৰখন কিমান পৱিত্ৰ হ'লে ভালপোৱাক জীৱনৰ শিক্ষা বুলি ক'ব পাৰে আজি তোমাৰ পৰা শিকিলোঁ। মই শ্ৰেষ্ঠ নহয় সন্ধ্যা, কিন্তু শ্ৰেষ্ঠ হ'ম।"

ডিপাৰ্টমেন্টৰ পৰা বাহিৰে লাইব্ৰেৰীত সোমালগৈ সন্ধ্যা। লাইব্ৰেৰী কাৰ্ডখন প্ৰতিটো ছেমিষ্টাৰতে ৰিনিউ কৰাব লাগে। আজি ক্লাছ নাই যেতিয়া এইটো লেঠা মাৰি থোৱাই ভাল। লাইব্ৰেৰীটো আগতকৈ বহু বেলেগ হ'ল। কেন্টিন এখনো বনালে ডাঙৰকৈ। আগতে যে অভিমন্যুৰ এইটোৱেই অভিযোগ সদায়। ইমানবোৰ ষ্টুডেন্ট আহে লাইব্ৰেৰীলৈ। এই সৰু বাকচৰ নিচিনা কেন্টিনখনে কেনেকৈ জুৰে বাৰু! কিন্তু বেচেৰাই ডাঙৰ কেন্টিনত খাবলৈ নাপালেই বেছি দিন। লাইব্ৰেৰীত সোমাই ৰিনিউ কৰিয়েই এপাক কেন্টিনলৈ গ'ল সন্ধ্যা। উদ্দেশ্য, কফি একাপ। লাইব্ৰেৰীত সোমায়েই বাওঁফালে দুখোজ মান গ'লেই আকৌ বাওঁফালে সোমাই গৈছে ৰাস্তা এটা। সেইফালেই ৰিডিং ৰুমবোৰ আছে। ৰুমবোৰ পোৱাৰ আগতেই পাই কেন্টিনখন। আগৰ খনতকৈ যথেষ্ট ডাঙৰ আহল বহল। চকী আৰু টেবুলো পাৰি থোৱা আছে। সন্ধ্যাই কফি একাপ লৈ চুকৰ টেবুলখনতে বহিলগৈ। কিছু সময় পাৰ হৈছিল। এনেতে কথা কৈ কৈ কেন্টিনলৈ সোমাই আহিল ল'ৰা এটা আৰু ছোৱালী এজনী। ছোৱালীজনীয়ে কৈ গৈছে,

Kaushik

"আজি তই খোৱাবি।"

লগে লগে ল'ৰাটোৱে কৈছে,

"পইছায়েই নাই।"

"হুঁহ! মোলৈহে পইছা নাই, বেলেগ এজনীয়ে খোজক চোন।"

"ঠিক আছে, মই খোৱালে কিন্তু আইচক্ৰীম খাব নোৱাৰ।"

"কিনো ফটুৱা, নহ'ব মই থামেই যা।"

"কথা ক'লে শুনিবি কিন্তু। নহ'লে---"

হঠাৎ কথা কৈ কৈ সন্ধ্যাক দেখি ল'ৰাটো ৰৈ গ'ল,

"হাৰে সন্ধ্যা বা দেখোন। কি খবৰ?"

চকুৰ পলক নজপোৱাকৈ সন্ধ্যাই সিহঁতৰ মৰমৰ কাজিয়াখন চাই আছিল। বুকুত বিষ এটাই উক দিছিল। চকুযোৰ আকৌ ভৰি উঠিছিল। এনেতে ল'ৰাটোৱে মাত দিয়াত

তাই চঁক খাই উঠিল। তেতিয়াহে মন কৰিলে ল'ৰাটো সিহঁতৰ জুনিয়ৰ চিৰঞ্জীৱ। সেই যে ফ্ৰেচাৰ্ছত সন্ধ্যালৈ লাভ লেটাৰ লিখিছিল। তাই হাঁহি মাৰি মাতিলে তাক,

"মোৰ ভালেই চিৰঞ্জীৱ। তোমাৰ কোৱা।"

"মোৰো ভালেই বা। এইয়া মোৰ ক্লাছৰে বৰষা।"

তাৰ কথাৰ লগতে বৰষাও আহি সিহঁতৰ ওচৰ পালেহি। চিৰঞ্জীৱে বৰষাক সন্ধ্যাৰ চিনাকি দিবলৈ লওঁতেই তাই ক'লে,

"মই চিনি পাওঁ, আপুনি সন্ধ্যা বা। এবাৰ শ্ৰেষ্ঠ বিহুৱতী আৰু শ্ৰেষ্ঠ অভিনেত্ৰী হোৱা বাজনীক কোনে চিনি নাপায়। ডিপাৰ্টমেন্টত চবেই জানে আপোনাৰ কথা।"

সন্ধ্যাই হাঁহিছিল যদিও তাইৰ চকুত উপচি পৰা পানীৰ টোপালকেইটা বৰষাই ধৰা পেলাইছিল,

"বা, আপুনি কান্দি আছিল? চকুত পানী যে?"

লগে লগে চকুটো মোহাৰি সন্ধ্যাই ক'লে,

"নাই, আচলতে তোমালোকক দেখি মোৰ কাৰোবালৈ মনত পৰি গ'ল।"

"কালৈ বা?" বৰষাই সুধিলে। সন্ধ্যাই তাইৰ গালত হাত ফুৰাই মৰম কৰি ক'লে,

"এই সৰু সৰু মৰম, মান অভিমানৰ কাজিয়া, এইবোৰ খুব মূল্যৱান বৰষা। হেঁপাহ পলুৱাই উপভোগ কৰা এই দিনবোৰ। কাৰণ এবাৰ হেৰাই যোৱা সময় আৰু কেতিয়াও উভতি নাহে।"

কথাটো কৈয়ে খৰ খোজেৰে কেন্টিনৰ পৰা ওলাই গৈছিল সন্ধ্যা। উজাই অহা কান্দোনটো হেঁচিবলৈ মুখখন ঢাকি ধৰিছিল তাই। বৰষা আৰু চিৰঞ্জীৱে বুজা নুবুজাৰ দৃষ্টিৰে চাই ৰৈছিল সন্ধ্যা যোৱাৰ ফালে।

অকলশৰীয়া ৰুমটোৰ ডিম লাইটটো জ্বলি আছে। খিৰিকীখন খোলা। সিপাৰৰ বতাহজাকত খিৰিকীৰ পৰ্দাখন মাজে মাজে কঁপিছে। কঁপি থকা পৰ্দাখনৰ আঁৰেৰে খিৰিকীৰ সিফালৰ পৰা জোনটোৱে যেন লুকাভাকু খেলিছে। অবিন্যস্ত চুলিৰে সন্ধ্যা পৰি আছে বিচনাত। মূৰটো বিচনাখনৰ দাঁতিত। মেলি থোৱা তাইৰ চুলিকোঁচা বৈ

Kaushik

পৰিছে তললৈ। গাত আধালৈকে লোৱা পাতল বিচনা কাপোৰ এখন। সেমেকা চকুদুটিৰে সন্ধ্যাই একেথৰে চাই আছে বেৰত ওলোমাই থোৱা ম'ৰা পাখিটোলৈ। বতাহজাকত মাজে মাজে কঁপি আছে পাখিটো। সেই প্ৰথম জন্মদিনত তাইক অভিমন্যুয়ে দিয়া। তাই আজিও সাঁচি থৈছে। পাখিটো পুৰণি হ'লেও হেঁপাহবোৰ আজিও সজীৱ। অভিমন্যু যোৱাৰ পৰাই এই পাখিটো দেখিলেই বুকুখন যেন মোচৰ খাই যায় তাইৰ। সময়, সঁচাই বৰ আচৰিত নহয়!

দিনটো ব্যস্ততাৰ মাজত ঠিকেই যায় সন্ধ্যাৰ। কিন্তু এই ৰাতি হ'লেই বুকুখনত কিবা এটা খালী খালী অনুভৱ হয়। আৰু এটা বিষ। আছে, কথা পাতোঁ বুলিলেই অনুৰণ এতিয়াও আছে। কিন্তু সন্ধ্যাক যে কাজিয়া কৰিবলৈ লগ লাগে, হাতৰ পৰা কাঢ়ি নিয়া আইচক্ৰীমৰ পিছে পিছে দৌৰাৰ সময়খিনি লাগে। এৰা, সেইখিনিতেই বন্ধুত্ব বিশেষ আৰু বেলেগ চাগে।

কথাবোৰ পাগুলি থাকোঁতেই মোবাইলৰ ৰিংটনটো বাজিল। হাতটো মেলি মোবাইলটো চাওঁতেই দেখিলে অভিমন্যুয়ে কৰিছে। ৰিচিভ কৰাৰ লগে লগেই তাৰ মাত,

"ক্যা কৰ ৰহে হো জানে মন?"

বহু সময়ৰ মূৰত তাৰ মাতটোত উদাসী হাঁহি এটা বাগৰাই সন্ধ্যাই ক'লে,

"আছোঁ এনেই, তই?"

"হাৰে, মাতটো শুন চোন। কিবা দুৰ্ভিক্ষ হোৱা ঠাইৰ শৰণাৰ্থীৰ নিচিনা লাগিছে।"

তাৰ কথাত হাঁহি উঠিল সন্ধ্যাৰ,

"ফটুৱা, এক্সাম্পল দিছে চাচোন।"

"অঁতো আকৌ। কি হ'ল কচোন।"

"নাই, একো নাই।" উত্তৰৰ লগতে এটা হুঁমুনিয়াহ সৰিল সন্ধ্যাৰ। সিফালে অভিমন্যুয়ে গৰজি উঠিল,

"এইচব কাৰণতে খং উঠে মোৰ। মন মাৰি থাকিবি আৰু সুধিলে ক'বি একো নাই।"

সন্ধ্যাই একো মতা নাই মুখেৰে। মাত্ৰ তাইৰ ঘন ঘন উশাহবোৰ শুনিছে অভিমন্যুয়ে। উশাহত ভাহি অহা অভিমানৰ পৰশ বাৰুকৈয়ে পাইছিল সি। সেয়ে এইবাৰ মৰমেৰে ক'লে,

Kaushik

"কচোন। তই এনেকৈ থাকিলে মোৰ জানো ভাল লাগে?"

সৰু সৰু মাতেৰে সন্ধ্যাই কৈ গৈছে,

"আজি লাইব্ৰেৰীত দেখিছিলোঁ ল'ৰা এটা আৰু ছোৱালী এজনী। আইচক্ৰীম খাব আহিছে।"

মাজতে অভিমন্যুয়ে মাত দিলে,

"আটছা, তোৰ লোভ লাগিল মানে! কেনেবাকে তাৰ পৰা কাঢ়ি আনিলি নি?"

"ধেই এইডাল, নকওঁ যা একো তোক।" সন্ধ্যাৰ খং। অলপ হাঁহি লৈ অভিমন্যুয়ে কৈছিল,

"ছৰী ছৰী। ধেমালি কৰিছোঁ। ক, তাৰ পাছত?"

আকৌ কেই মূহুৰ্ত মান নীৰৱতা। হুঁমুনিয়াহবোৰ দীঘল হৈ পৰিছে সন্ধ্যাৰ। অলপ ৰৈ অভিমন্যুয়ে আকৌ ক'লে,

"মোলৈ মনত পৰিছিল?"

"উম।"

"সেই কাৰণে মন বেয়া?"

"উম।"

কিছু সময় কাৰোৰে মাত নাই। ওলাই আহিব খোজা কান্দোনখিনি মুখখন গাৰুটোত হেঁচা দি ধৰি ৰাখিছে সন্ধ্যাই। ফোনৰ সিটো পাৰে অভিমন্যুয়েও বৈ অহা চকুপানী টোপাল হাতেৰে মোহাৰিছে। তাৰ পাছত মাতটোত উচ্ছাস আনি সন্ধ্যাক ক'লে,

"বাৰু বাদ দে। গান এটা গাওঁ?"

"নালাগে। তোৰ গেলা মাত ডালত গান নুশুনোঁ মই।"

"কিনো, মুডত আছোঁ আজি। গাওঁ দে না। গাওঁ নে? প্লিইইইজ। গাওঁ নে?"

"হ'ব। মই নালাগে বুলি ক'লে যেন নোগোৱাকে হে এৰিবি তই। অকমাণ গা বাৰু।"

সন্ধ্যাৰ কথাত হেঃ হেঃ কৈ হাঁহি এটা মাৰি অভিমন্যুয়ে গাইছিল জুবিন দাৰ গান এটা,

Kaushik

"জোনমণি ৰুণজুন

তেতিয়া চকুত জোন

নিভাঁজ আৱেগত

টোপা টোপে সৰা সোণ

সাঁতুৰি নাদুৰি এটি এটি ৰাতি দিন

খেলা লুকা চুৰি নিজকে বিচাৰো কোন...."

হঠাৎ উচুপি উঠিল সন্ধ্যাই। আচলতে প্ৰথমৰ পৰা আহি থকা উচুপনিটো শেষ ফাললৈ বেছিকৈ ওলাল। গান গাবলৈ এৰি অভিমন্যুয়ে সুধিলে,

"ঐ, কান্দিছ তই?"

লগে লগে সন্ধ্যাই ফেঁকুৰি উঠিল,

"তই গুছি আহ না প্লিজ। প্লিজ অভি গুছি আহ না।"

অথনিৰ পৰা হেঁচি ৰখা কান্দোনখিনি সজোৰে ওলাই আহিছিল তাইৰ। অলপ সময় একো কোৱা নাই অভিমন্যুয়ে। কান্দক তাই, বুকুখন পাতল হওঁক। অলপ পাছত মৰমেৰে ক'লে,

"এনেকে হ'লে কেনেকৈ হ'ব সন্ধ্যা? তই তাত তেনেকৈ থাকিলে মই জানো ইয়াত শান্তিৰে থাকিব পাৰিম কচোন। জীৱনটো এনেকুৱাই। বহুত আহিব বহুত যাবগৈ। কিন্তু আমিতো আগুৱাই যাবই লাগিব ন? আৰু মইতো মানুহটোহে আঁতৰি আছোঁ। যেতিয়াই মন যায় ফোনতটো পাবিয়েই। এতিয়া প্লিজ আৰু নাকান্দিবি।"

তাৰ বুজনিত শান্ত হৈছিল সন্ধ্যা। কান্দোনটোও কমিছিল। অভিমন্যুয়ে আকৌ ক'লে,

"পানী অকণ খাচোন এতিয়া।"

বিচনাৰ পৰাই টেবুলখনৰ পানী বটলটো হাকুটিয়াই আনি পানী খালে সন্ধ্যাই।

"এতিয়া ধুনীয়াকৈ টোপনি যা।" অভিমন্যুয়ে ক'লে।

"ঠিক আছে" বুলি সন্ধ্যা বিচনাত পৰিল। সি আকৌ ক'লে,

"ঐ শুন"

Kaushik

"ক"

"বিচনাৰ তলত কোন আছে সেইটো?"

লগে লগে চিঞৰি উঠিল সন্ধ্যাই,

"তোৰ মূৰটো আছে। চৰ চিনি পাঁৱ অভদ্ৰ?"

ফোনৰ সিপাৰে হাঁহিত ফাটি পৰিছিল অভিমন্যু,

"ভয় হ'লে সেইটো। ইফালে আকৌ ওস্তাদি মাৰি ছিংগল ৰুম লৈছে।"

"হ'ব যাঃ এইডাল। গুড নাইট।"

হাঁহি হাঁহি অভিমন্যুয়েও ক'লে,

"গুড নাইট পাগলী।"

ফোনটো কাটি দিলে সন্ধ্যাই। বতাহজাক কমাত খিৰিকীৰ পৰ্দাখন এতিয়া শান্ত। সন্ধ্যাই চকু দুটা মুদি দিয়াত এটুপি অশ্ৰু বাগৰি গাৰুটোৰ বুকুত সোমাইছে। ওচৰৰ কোনোবা ৰুমৰ পৰা ভাহি আহিছে জুবিনৰ গানৰ কলি,

"ৰঙা নীলা চিলা

উৰি উৰি মনে খেলা

এতিয়া কবিতা গানৰে শলিতা

অকলে বুকুতে চকুলো বুটলি

পাখি পাখি এই মন....."

(আগলৈ)

#নিৰিবিলি

Part 105

Kaushik

শৰতৰ আগমণি বতৰা লৈ সাৰ পোৱা এটা কোমল ৰাতিপুৱা। চৰাইবোৰৰ কিচিৰ কিচিৰ মাত। সোৱণশিৰীৰ সমুখতে শালিকী দুটা ঘূৰি ফুৰিছে। ডাইনিং হলত ব্ৰেকফাষ্টৰ আয়োজন আৰম্ভ হোৱাই নাই। এন্ধাৰ ফালি অহা কোমল ৰ'দজাকে সাৱটিব লৈছে ইউনিভাৰ্চিটীৰ চৌহদটো। এখোজ এখোজকৈ ভিতৰৰ পৰা ওলাই আহিছে সন্ধ্যা। এপাক ওলাই যায়। আজিকালি ৰাতিপুৱা খোজ কাঢ়িবলৈ লৈছে তাই। হোষ্টেলৰ গেটখন সাৰি বাওঁহাতে নিৰিবিলিৰ ফালে খোজ ল'লে। তেনেতে কাৰোবাৰ চাইকেলৰ টিলিং টিলিং শব্দ। লগতে চিনাকি মাত,

"মন হীৰা দৈ চাইকেল নহয় টিলিঙা

মন হীৰা দৈ ডেকা নহয় পিলিঙা

ৰহঢলা পথাৰত...."

সন্ধ্যাই ঘূৰি চাই ফুৰ্তিতে চিঞৰি উঠিল,

"অভি, তই?"

"অঁ মই, কেনেকুৱা লাগিল ছাৰপ্ৰাইজ?" চাইকেলৰ পৰা নামি লৈ ক'লে সি। সন্ধ্যা আগুৱাই গ'ল,

"কিন্তু তইতো দিল্লীত হে--"

সন্ধ্যাৰ কথাত জোৰকৈ হাঁহি মাৰি ক'লে অভিমন্যুয়ে,

"আহি গ'লো আকৌ। এইবাৰ তোক আৰু অনুৰণক একলগ কৰিহে যাম।"

কঁপি গৈছিল সন্ধ্যা। তাৰ মানে অভিয়ে। সি আকৌ ক'লে,

"কি ভাবিছিলি, মই এইবোৰ একো নাজানো হা?"

সন্ধ্যাই ক'বলৈ লৈছিল কিবা এটা। তেনেকুৱাতে জোৰেৰে শব্দ এটা হ'ল,

"ধ-মম"

লগে লগে আকৌ এটা, "ধমমম"

Kaushik

একেলেথাৰিয়ে দুই তিনিবাৰ হোৱা শব্দত থকমককৈ সাৰ পাই বিচনাত উঠি বহিল সন্ধ্যা। উঠিয়েই ইফালে সিফালে চালে ; তাই ৰাস্তাতহে আছিল। কাষত অভিমন্যু। ৰুমলৈ কেতিয়া আহিল।

"সন্ধ্যা, উঠিছনে? ক্লাছ নাপাবি আজি তই।"

ৰুমৰ বাহিৰত সেয়া প্ৰিয়াৰ মাত। ধেৎ তেৰি, তাৰমানে তাই অথনিৰ পৰা--।

"ধম ধম" আকৌ দুৱাৰত ঢকিওৱাৰ শব্দ। সন্ধ্যা নামি গৈ খুলি দিলে দুৱাৰখন। দুৱাৰমুখত ৰৈ থকা প্ৰিয়াই লগে লগে আৰম্ভ কৰিলে,

"অথনিৰে পৰা ৰৈ আছোঁ। চাৰে আঠটা বাজিল জাননে? নোকোৱাকৈ গ'লেও পাছত ফোন মাৰি থাকিবি, এনেকৈ তোৰ লগতে আমাৰ ক্লাছ খতি হ'বচোন। ঠিকা লোৱা নাইতো। সদায় এনেকৈ--"

"তই যা, মই ফাৰ্ষ্ট ক্লাছ নকৰোঁ।"

একে আষাৰে ক'লে সন্ধ্যাই। প্ৰিয়াই এবাৰ চাই ৰৈছিল তাইলৈ। তাৰ পাছতে মুখেৰে ভোৰভোৰাই আঁতৰি গ'ল,

"এইচবক মাতিবই নালাগে।"

দুৱাৰখন ধমহকৈ মাৰি দিলে সন্ধ্যাই। আহি লৈ বিচনাত বহিলহি। কিয় এনেকুৱা মানুহবোৰ! ৰাতিপুৱাই কোনোবাই কাৰোবাক এইদৰে কয় নে! প্ৰিয়াই গালি দিয়াৰ বাবে সন্ধ্যাৰ খং উঠা নাছিল। আগতেও দেৰিকৈ উঠাৰ বাবে তাই গালি খাইছে। কিন্তু এইটো কোৱাৰ ধৰণ নে? কোনোদিন আজিলৈকে তাইৰ কাৰণে প্ৰিয়াৰ ক্লাছ ক্ষতি হোৱা নাই। বৰঞ্চ ওলোটাই প্ৰিয়াৰ জ্বৰতহে এদিন সন্ধ্যা ক্লাছ নকৰি দিনটো তাইৰ ওচৰত বহি আছিল। সঁচাই, মানুহ সলনি হ'বলৈ এক মূহুৰ্তও নালাগে। দীঘলকৈ উশাহ কেইটা মান টানিলে সন্ধ্যাই। তাৰ পাছত হে তাইৰ সপোনটোলৈ মনত পৰিল। ইচ, সপোনো যে দেখিছে আৰু। অভিয়ে অনুৰণ আৰু তাইক মিলাবলৈ আহিছে। ধেৎ! হাঁহি এটাই খেলি গ'ল সন্ধ্যাৰ মুখত।

ঘড়ীত আঠটা পয়ঁত্ৰিছ হৈছে। প্ৰিয়াক খঙতে ক্লাছ নকৰোঁ বুলি ক'লেও আজি নতুন ছেমিষ্টাৰৰ ফাৰ্ষ্ট ক্লাছটোৱেই ক্ষতি কৰিবলৈ মন নাই সন্ধ্যাৰ। অগত্যা হাতত ব্ৰাছ ডাল লৈ দৌৰা দৌৰিকৈ বাথৰুমলৈ গ'ল তাই। প্ৰায় আধা ঘন্টাৰ মূৰত সোৱণশিৰীৰ পৰা ডিপাৰ্টমেন্টলৈ ওলাই আহোঁতে ক্লাছলৈ মাত্ৰ দহ মিনিটহে আছেগৈ।

Kaushik

ফাৰ্ষ্ট ক্লাছ বাবেই চাগে মেম অহাও দেৰি। গতিকে সন্ধ্যা সময়তে পালেগৈ। মেমে পঢ়াবলগীয়া নতুন পেপাৰ খনৰ কথা বুজোৱাৰ লগতে এইবাৰ যে সন্ধ্যাহঁতৰ ডিজাৰ্টেচন আছে, সেইটোও জনালে। আচলতে ডিজাৰ্টেচন লাষ্ট ছেমিষ্টাৰতহে। এইটো ছেমত অকল গাইডহে ভগাব। ক্লাছৰ মাজতে সন্ধ্যাৰ মোবাইলটো বাজিল। ভ্ৰাইব্ৰেচন হোৱা দেখি উলিয়াই চালে, ঘৰৰ পৰা বৰদেউতাকৰ ছোৱালী চুমনে কৰিছে। ৰাতিপুৱাই কি হ'ল বা? তাই ফোনটো কাটি দিলে। মেছেজ এটা দিবলৈ লওঁতেই দেখিলে ৰাতিপুৱাৰ পৰা তাইলৈ বাৰটা মিচকল। গোটেইবোৰ ঘৰৰ মানুহৰ পৰা। মোমায়েক, খুৰীয়েক, পেহীয়েক আদি। ৰাতিপুৱা দৌৰা দৌৰিত তাই মোবাইল চোৱাই নাছিল। বুকুখন কঁপি উঠিল সন্ধ্যাৰ ; কিবা বিপদ হোৱা নাইতো! কিন্তু ক্লাছৰ মাজত যে ধৰিবও নোৱাৰি। ক্লাছটোৰ পিছৰখিনি কেনেকৈ গ'ল, কি পঢ়ালে সন্ধ্যাই একো গমেই নাপালে। এঘন্টাও যেন এবছৰৰ দৰে লাগিছে। কি হৈছে বাৰু ঘৰত। এটা কথাই তাইক বেছি চিন্তাত পেলাইছিল যে ঘৰৰ সকলোৰে ফোন তাই পাইছে, কিন্তু মাক বা দেউতাকৰ ফোন অহা নাই। আগতে কিবা জৰুৰী কথা থাকিলেতো মাকেই ফোন কৰে। কিন্তু এতিয়া মাকে ফোন নকৰাটোৱে কি বুজাইছে! তাতে সিদিনা মাকহঁতে থৈ যোৱাৰ পাছত তাই কথা পতা হোৱাই নাই। এবাৰ কৰিছিল, কিন্তু দেউতাকে ধৰিলে। মাকৰ কথা সোধোতে ক'লে যে কিবা কামত আছে। তাৰ পাছত নাইয়ে কৰা। মাক ঠিকে আছেতো! বুকুখন ধান বনাদি বানিছে সন্ধ্যাৰ। যেনে তেনে ক্লাছটো শেষ হ'ল। সন্ধ্যা লগে লগে উঠি গ'ল দেউতাকলৈ ফোনটো লগাই। ক্লাছৰ বাহিৰৰ বাৰাণ্ডাখনতে পাইচাৰি কৰি আছে ফোনটো কাণত লৈ। এবাৰত ধৰিলে দেউতাকে,

"ৰুণ--"

"দেউতা, কাৰ কি হৈছে ঘৰত?" সন্ধ্যাৰ মাতটো কঁপিছে।

"ৰুণ, তই পাৰিলে গুছি আহ।" দেউতাকে যেন উচুপিছে। সন্ধ্যাৰ ধৈৰ্য হেৰাল। প্ৰায় চিঞৰি উঠিল তাই,

"দেউতা কোৱা না কি হ'ল? আৰু মা? মা ক'ত আছে?"

কওঁ নকওঁকৈ উচুপনিৰ মাজেৰে দেউতাকে কৈছে,

"মাৰৰ অৱস্থা বেয়া অ' ৰুণ। এক্সিডেন্ট হৈ-- তই পাৰিলে এবাৰ চাই যা হি--"

kaushik

মূৰত সৰগ ভাঙি পৰিছিল সন্ধ্যাৰ। দেউতাকে কি কৈছে একো মূৰত সোমোৱা নাই। ৱালখনতে ভেঁজা দি ৰৈ গ'ল তাই। কান্দিবলৈও যেন শক্তি নাই। অথনিৰ পৰা তাইলৈ মন কৰি থকা অনুৰণ এইবাৰ ৰুমৰ পৰা ওলাই আহিল তাইৰ ওচৰলৈ,

"সন্ধ্যা, কি হৈছে?"

নাই, মুখেৰে একো ক'ব পৰা নাই সন্ধ্যাই। অনুৰণে এইবাৰ বাহুত ধৰি জোকাৰি দিলে তাইক,

"কি হৈছে নোকোৱা কিয়?"

এইবাৰ সশব্দে ফেঁকুৰি উঠিল তাই,

"মা-- মাৰ এক্সিডেন্ট"

পৰিৱেশ পাহৰি অনুৰণে বুকুত সাৱটি ল'লে সন্ধ্যাক। সন্ধ্যাইও অনুৰণৰ বুকুত সোমাই জোৰেৰে কান্দি উঠিল,

"মই মাৰ ওচৰত যাওঁ অনুৰণ, প্লিজ মোক লৈ ব'লা না। দেউতাই কৈছে মাৰ হেনো--"

তাইৰ কৈ নহওঁতেই অনুৰণে ক'লে,

"একো নহয় মাৰ। মই কৈছোঁ, একো নহয়। মই লৈ যাম তোমাক।"

কথাটো কৈয়ে অনুৰণে হাতত ধৰি তললৈ লৈ গ'ল সন্ধ্যাক। ব্ৰেক চলি আছিল বাবে ক্লাছটোত বেছি মানুহ নাছিল। কিন্তু যি কেইজন আছিল তেওঁলোকৰ পৰাই গোটেই দৃশ্যটো মুখৰোচক কাহিনী হৈ ক্লাছত বিয়পি পৰিবলৈ সৰহ সময় নালাগিল। অথনিৰে পৰা সন্ধ্যাহঁতক চাই থকাবোৰে সিহঁত যোৱাৰ পাছতে গুণগুণনি আৰম্ভ কৰি দিলে।

তললৈকে সন্ধ্যাক ধৰিয়েই আনিছিল অনুৰণে। এটা হাতেৰে তাইক সাৱটি আনটোৰে ফোন উলিয়াই লগৰটোলৈ ফোন লগালে,

"জল্দি বাইকৰ ছাবিটো লৈ মেইন গেটলৈ আহ।"

এইবাৰ সন্ধ্যাৰ পৰা ফোনটো লৈ তাইৰ দেউতাকলৈ ফোন লগালে। দেউতাকে লগে লগে ধৰিছিল,

Kaushik

"ক ৰুণ"

"হেল্লো আংকল, মই সন্ধ্যাৰ ফ্ৰেণ্ড অনুৰণে কৈছোঁ। আন্টী ক'ত আছে এতিয়া?"

দেউতাকৰ বাবে অপ্ৰত্যাশিত আছিল। তেওঁ যেন ভয় খাইছিল,

"অঁ অঁ, তেওঁক গুৱাহাটী আনিলোঁ। হেল্থ চিটী নাৰ্চিংহোমত আছে। ৰুণজুন ঠিকে আছেতো? তাইক অকলে আহিবলৈ নিদিবা।"

"নাই আংকল, মই আছোঁ সন্ধ্যাৰ লগত।"

কথাটো কৈ ফোনটো কাটিলে অনুৰণে।

"মা---"

হঠাতে ফেঁকুৰি উঠিল সন্ধ্যাই। তাইৰ মূৰটো নিজৰ বাহুত পেলাই দি অনুৰণে কৈছিল,

"নাকান্দিবা মাইনা। একো নাই হোৱা মাৰ। আমি গৈ আছোঁতো মাৰ ওচৰত।"

মেইন গেটৰ ফালে খোজকাঢ়ি গৈ থকা অনুৰণ আৰু সন্ধ্যালৈ ডিপাৰ্টমেন্টৰ বেলকণিৰ পৰা একেথিৰে চাই ৰৈছিল অনুৰাধাই।

অনুৰণৰ লগৰটোৱে বাইক মেইন গেটৰ বাহিৰলৈ উলিয়াই সাজু কৰিয়ে ৰাখিছিল। অনুৰণ সেইখিনি পাই তাৰ পৰা চাবিটো ল'লে। তাৰ পাছত সন্ধ্যাৰ গালদুখন নিজৰ দুহাতেৰে ধৰি লৈ ক'লে,

"সন্ধ্যা, আমি যাম এতিয়া মাৰ ওচৰত। কিন্তু তুমি এনেকৈ উইক হৈ গ'লেচোন বাইকত যাবই নোৱাৰিবা। বি ষ্ট্ৰং সন্ধ্যা। একো নহয় মাৰ। তুমি কৃষ্ণক বিশ্বাস কৰা ন, তেওঁতো একো বেয়া নকৰে।"

অনুৰণৰ বুজনিত আগতকৈ শান্ত হৈছিল সন্ধ্যা। অনুৰণে বাইক ষ্টাৰ্ট দিলে। সন্ধ্যা বহিল। লগে লগেই অনুৰণে বাইক দৌৰাইছিল গুৱাহাটীলৈ।

প্ৰায় তিনিঘন্টাৰ ৰাস্তা তেজপুৰৰ পৰা গুৱাহাটীলৈ। বাইকত অনুৰণৰ আঢ়ৈ ঘন্টা লাগিছিল। মাজতে এবাৰ দোকান এখনৰ সমুখত ৰৈ সন্ধ্যাক একাপ চাহ আৰু বিস্কুট খোৱাইছিল। তাই প্ৰথমতে কোনোপধ্যেই নাখায়। শেষত অনুৰণে বিস্কুটটো তাইৰ মুখত আগত ৰাখি কৈছিল,

Kaushik

"মই খোৱাই দিলেও নোখোৱা?"

বৈ অহা চকুপানী খিনি মচি সন্ধ্যাই বিস্কুটটো মুখত লৈছিল। সেই তাতেই যি ৰোৱা। তাৰ পাছত গুৱাহাটীৰ হেল্থচিটী নোপোৱালৈকে সিহঁত ৰোৱা নাই। বাইক গাড়ী চলোৱাত অনুৰণ এনেও পাকৈত। গতিকে সময়তকৈ সোনকালে আহি পোৱাটো তাৰ বাবে স্বাভাৱিক। হেল্থ চিটী নাৰ্চিংহোমখন বৰ ধুনীয়া ঠাইত আছে। গুৱাহাটীৰ মেইন চিটী পাবগে নালাগে বাবে চিটীৰ ট্ৰেফিকৰ সমস্যা নাপালে সিহঁতে। নাৰ্চিংহোমৰ সমুখ পাইয়ে দেউতাকলৈ ফোন লগালে সন্ধ্যাই।

"থাৰ্ড ফ্লৰৰ ৱেটিং ৰুমত।" দেউতাকে ক'লে।

অনুৰণ আৰু সন্ধ্যা সোমাই গৈছিল নাৰ্চিংহোমৰ ভিতৰত। প্ৰায় পাঁচমহলীয়া নাৰ্চিংহোমখন নতুনকৈ বনোৱা। চাৰিওফালে অত্যাধুনিক সা সুবিধাৰে ভৰপূৰ। সমুখত এটি প্ৰকাণ্ড ৰুম। তাতে সোমায়েই সোঁফালে ফাৰ্মাচীখনো আছে। ফাৰ্মাচীখনৰ কাষেৰে গ'লেই লিফ্ট। তাতেই গৈ অনুৰণহঁত থাৰ্ড ফ্লৰ পালেগৈ। দেউতাক লিফ্টৰ ওচৰতে ৰৈয়ে আছিল। সন্ধ্যাই দেউতাকক সাৱটি কান্দি উঠিছিল সশব্দে।

"নাপাই ৰুণ। নাকান্দিবি। বিশ্বাস ৰাখ ভগৱানত।"

অনুৰণক দেখিয়ে গম পাইছিল দেউতাকে অথনি ফোন কৰাজন বুলি। "আহা" বুলি তাকো মাতি নিছিল ৱেটিং ৰুমলৈ।

সন্ধ্যাৰ মাক এতিয়া আই চি ইউত আছে। ভেন্টিলেশ্যন দি ৰখা হৈছে তেওঁক। আই চি ইউত থকা পেচেন্টৰ এটেণ্ডেন্টে কেবিন নাপায়। তাৰ সলনি ৱেটিং ৰুমতে কটাব লাগে ৰাতি। পিছে ইয়াত বেলেগ নাৰ্চিংহোমতকৈ কিছু সুবিধা আছে। ৱেটিং ৰুমটো যথেষ্টে ডাঙৰ আৰু আহল বহল। লগতে চাফাও। জোতা চেণ্ডেল খুলি সোমাব লাগে। বহু কেইজন কৰ্মীয়ে সৰা মোচা কৰিয়েই আছে। সোমায়েই কেই শাৰী মান চকী। তাৰ পাছত গোটেই হলটোৰ মাৰ্বলৰ মজিয়াত তুলী পাৰি থোৱা আছে। তাৰেই এখন তুলী বাছি ল'ব পাৰে। আনৰ দৰে সন্ধ্যাৰ দেউতাকেও বাছি লৈছিল দুখন তুলী। এখনত কাপোৰবোৰ থৈ আনখনত বিচনা চাদৰ পাৰি তেওঁ নিজে শুইছিল। সেইদৰে আন আন পেচেন্টৰ লগত অহা মানুহো আছিল। ৰুমটোত এ চিও আছে বাবে গুৱাহাটীৰ উৎকৎ গৰম অনুভৱ হোৱা নাই। দেউতাকে লৈ থোৱা তুলীখনতে বহিলগৈ অনুৰণ আৰু সন্ধ্যা। দেউতাকে লাহে লাহে কৈ গৈছিল মাকৰ এক্সিডেন্টৰ কাহিনী। সিদিনা সন্ধ্যাক থৈ আহোঁতেই বাটত গাড়ী ৰখাই মাকহঁত হোটেলত সোমাইছিল কিবা

Kaushik

খাবলৈ। হোটেলৰ পৰা ওলাই ৰাস্তা পাৰ হওঁতেই হঠাৎ সিফালৰ পৰা অহা গাড়ী এখনে--। পিছৰখিনি ক'ব পৰা নাছিল দেউতাকে। চকুত পানীৰে উপচি পৰিছিল। ভঙা ভঙা মাতেৰে কৈছিল,

"মই তলকিবই নোৱাৰিলোঁ অ' ৰুণ।"

সন্ধ্যাইও উচুপি উঠিল। অনুৰণে সুধিলে,

"ডাক্তৰে কি কৈছে?"

"নাজানোঁ আৰু কি কৰে। এবাৰ কয় ভাল হ'ব। এবাৰ কয় ছিৰিয়াছ। মুঠতে একো বুজি পোৱা নাই মই।"

দেউতাক যেন ভাঙি পৰিছে। তেওঁৰ অৱস্থাটো দেখি আৰু দুখ লাগিছিল সন্ধ্যাৰ। বুজা হোৱাৰে পৰা কোনো দিন দেউতাক আৰু মাকৰ সৰু খুত খাত এটা লগাৰো মনত নপৰে তাইৰ। অপাৰ মৰম মাকলৈ। সেইজনী মানুহৰ এনে অৱস্থা দেখি কোন সতে ধৈৰ্য ধৰে তেওঁ।

"ডাক্তৰজনৰ নামটো কি বাৰু?"

অনুৰণে আকৌ সুধিছিল। দেউতাকে ক'লে,

"বি কে দাস।"

অনুৰণ থিয় হ'ল।

"ক'ত যোৱা তুমি?" সন্ধ্যাৰ কথাৰ উত্তৰ নিদি অনুৰণে ওলোটাই সুধিলে,

"তোমাৰ মাৰ নামটো?"

"শেৱালি, শেৱালি বৰুৱা।"

"ৰ'বা আহি আছোঁ।" বুলি অনুৰণ ওলাই গ'ল। সন্ধ্যা বহি ৰ'ল দেউতাকৰ লগতেই।

প্ৰায় আধা ঘন্টাৰ মূৰত অনুৰণ উভতি আহিল। আহিয়েই সি সন্ধ্যাৰ দেউতাকক ক'লে,

"আংকল, চিন্তা কৰিব লগীয়া একো নাই। মই ডাক্তৰজনৰ লগত কথা পাতিলোঁ। ব্ৰেইনত অলপ আঘাত পোৱাৰ বাবে আন্টীৰ চেঞ্চ অহা নাই। কিন্তু মেডিচিন দিছে।

Kaushik

কাইলৈৰ ভিতৰত চেঞ্চ আহিব। বাকী টেষ্টবোৰো কৰি চালে, একো ভয় খাবলগীয়া নাই। চব ঠিকে আছে।"

সন্ধ্যাৰ লগতে দেউতাকৰ মুখত যেন এতিয়াহে পানী আহিছিল। অনুৰণে আকৌ ক'লে,

"আপুনিতো একো খোৱাই নাই চাগে। যাওঁক, কেন্টিনতে কিবা খাই লওঁক। মই আছোঁ ইয়াত। ঘপকৈ বিচাৰি দিব পাৰে।"

"নাই নাই, তোমালোক যোৱা। ইমান দূৰ আহিছা। আগতে তোমালোকে খাই আহা।" দেউতাকে লগে লগে কৈছিল। অনুৰণ আৰু সন্ধ্যাই আপত্তি কৰিছিল যদিও দেউতাকে নামানিলে। শেষত ঠিক হ'ল যে অনুৰণহঁতে খাবলৈ যাব আৰু দেউতাকলৈ লৈ আনিব। সন্ধ্যাই ফ্লাক্সটো ল'লে লগত চাহ আনিবৰ বাবে। দেউতাকক ৱেটিং ৰুমতে থৈ অনুৰণ আৰু সন্ধ্যা ওলাই গ'ল।

"নাৰ্চিংহোমৰ কেন্টিনতে খাবা নে?"

ৱেটিং ৰুমৰ বাহিৰত জোতাযোৰ পিন্ধিবলৈ লৈ অনুৰণে সন্ধ্যাক সুধিলে। পিছে সন্ধ্যাই মুখ কোঁচালে,

"ইয়াত খাবলৈ মন নাই অ'"।

"জানিছিলোঁৱেই।"

অনুৰণে সামান্য হাঁহিছে।

"হাঁহিব নালাগে, মই জানোতো ইয়াত পেচেন্টলৈ বনাই বাবে একদম বেছিয়ে চিম্পল। তেল কম, নিমখ কম, মচলা কম আৰুতো লগতে--"

সন্ধ্যাক শেষ কৰিব নিদি অনুৰণে ক'লে,

"হ'ব হ'ব। তললৈ যাওঁ ব'লা। নাৰ্চিংহোমৰ কাষতে গুমটি কেইখন মান আছে। ভাল পাবা তাত।"

"বঢ়িয়া। গুৱাহাটীৰ গুমটিত খোৱাৰ মজাই বেলেগ জানা।"

কথা কৈ কৈ সিহঁত তল পালেগৈ। অনুৰণে ডাক্তৰৰ লগত কথা পাতি অহাৰ পৰা সন্ধ্যাৰ মনটো আগতকৈ বহুখিনি পাতল হ'ল। লগতে অনুৰণৰ সংগইও সাহস দিছিল

Kaushik

তাইক। সঁচাই, জীৱনত মাত্ৰ এবাৰেই আমি এনে কাৰোবাক লগ পাওঁ যিয়ে আমাৰ গোটেই পৃথিৱীখনকে সলাই পেলায়।

নাৰ্চিংহোমখনৰ গেটৰ বাওঁফালেই সৰু সৰু কেইবাখনো গুমটি। দুই এখন বেঞ্চ, ওপৰত এখন টিৰপাল লৈয়ে ব্যৱসায় চলাই নিছে এওঁলোকে। কাষ্টমাৰো নথকা নহয়। নাৰ্চিংহোমৰ পেচেন্টৰ লগত অহা মানুহৰ পৰা ছিকিউৰিটীলৈকে সকলো গুমটিৰ গ্ৰাহক। সন্ধ্যা দেখি আচৰিত হৈছিল, এই গুমটিবোৰ চলাই আছিল মাইকী মানুহে। গুৱাহাটীৰ গৰমত অনবৰত জুইৰ ওচৰত গেছত ৰুটি, ভাজি, ঘূগুণি নাইবা চাহ চিঙৰা বনাই থকাৰ ধৈৰ্য আৰু শক্তি সঁচাই মানিবলগীয়া এওঁলোকৰ। এৰা, সেইবাবেই হয়তো কোৱা হয়, গুৱাহাটীয়ে দেখুৱাই জীৱনৰ অনন্য ৰূপ। এফালে যদি ওখ ওখ অট্টালিকাৰ বিলাসিতা, আনফালে পদপথৰ ওপৰৰ কষ্টকৰ সংগ্ৰাম। এ চি গাড়ীত বহি যোৱা আভিজাত্যতা এফালে আৰু এই সকলৰ দৰে গৰম পাহৰি জীৱিকাৰ বাবে দিন ৰাতি একাকাৰ কৰা কষ্ট আনফালে। তথাপিও এওঁলোক সুখী। কামৰ মাজতে হাঁহে, গল্প কৌতুক কৰে। সঁচা অৰ্থত জীৱন উদযাপন কৰে এই সকল লোকে। কোনো অভিযোগ নাই জীৱনলৈ।

সন্ধ্যাহঁত ভিৰ কম থকা গুমটি খনতে ৰ'লগৈ। নীলা ৰঙৰ টিৰপাল খনৰ তলতে গুমটিখন। সমুখত এখন দীঘলীয়া বেঞ্চ। ওখ টেবুল এখনত গেছটো। তাতেই এগৰাকী বৃদ্ধা মানুহে সৰু ছোৱালী এজনীৰ সহায়ত বস্তুবোৰ বনাই আছিল। ছোৱালীজনী হয়তো তেওঁৰ নাতি।

"কি খাব মেডাম?"

ফুটফুটীয়া ফ্ৰক পিন্ধা সৰু ছোৱালী জনীয়ে সুধিলে। সন্ধ্যাৰ মৰম লাগিল ছোৱালীজনীলৈ। এইৰ বয়সত তাই নিজে কি কি কৰিছিল বাৰু! পানী গিলাছো খোৱা নাছিল চাগে নিজে লৈ। পুতলা খেলা বয়সত ছোৱালীজনীয়ে জীৱনৰ সৈতে যুঁজিছে। ছোৱালীজনী ওচৰ চাপি অহাত সন্ধ্যাই তাইৰ গালত মৰমেৰে হাত ফুৰাই সুধিলে,

"কি নাম তোমাৰ?"

"মণিকা" তাই লাজ লাজকৈ কৈছিল। ৰুটি ভাজি থকা বৃদ্ধা গৰাকীয়ে সন্ধ্যালৈ চাইছে। হয়তো কাষ্টমাৰৰ এই ব্যৱহাৰ অপ্ৰত্যাশিত।

সন্ধ্যা আৰু অনুৰণ বেঞ্চতে বহিল। সন্ধ্যাই ক'লে,

Kaushik

"কি খোৱাবা আমাক মণিকা?"

"কি খাব কওঁক। ৰুটী ঘুগুণি, পৰঠা, চিঙৰা চব বনাই থৈছে আইতাই।"

মণিকাৰ কথাত আইতাকেও হাঁহি হাঁহি সন্ধ্যাক ক'লে,

"ৰুটী ঘুগুণিকে খাই লওঁক। গৰম গৰম হৈ আছে।"

সন্ধ্যাই অনুৰণলৈ চাইছিল। সি মূৰ দুপিওৱাত ৰুটী ঘুগুণি দুই প্লেট দিবলৈ ক'লে।

মণিকাই সাজু কৰিলেই। খাই থকাৰ মাজতে সন্ধ্যাই আইতা গৰাকীক সুধিছিল,

"আপোনালোক গুৱাহাটীৰে নে?"

"নাই, ক'ত ইয়াত। আমি বৰপেটাৰ। ইয়াত আহি আছোঁহি।"

"মণিকা আপোনাৰ নাতি?"

"অঁ, মোৰে নাতি। মাই বাপ নাই। মোৰ ল'ৰাটো আগতেই মৰিল। বোৱাৰীও মৰিল বেমাৰত। খাবলৈ পইছা নাই। মণিক লগত লৈ গুছি আহিলো ইয়ালৈ। আছোঁ আৰু এনেকেই।"

ৰুটী বেলি থকাৰ মাজতে আইতা গৰাকীয়ে সন্ধ্যাৰ প্ৰশ্নৰ উত্তৰ দি গৈছে। কিছু আঁতৰত গিলাছবোৰ ঘঁহি ধুই থকা মণিকালৈ চাইছিল সন্ধ্যাই। ধুই থকাৰ মাজতে কিবা গান এটা গুণগুণাই আছে তাই। ইমান কম বয়সতে মাক দেউতাকক হেৰুৱাইছে এই ছোৱালীজনীয়ে। তথাপি হাঁহিবলৈ শিকিছে। নিজৰ কামৰ মাজতে সুখ বিচাৰি লৈছে। আৰু আমিবোৰে জীৱনটোত সকলো থকাৰ পাছতো অভিযোগ কৰিয়েই তৎ নাপাওঁ।

"মেডাম, চাহ খাব নে?" মণিকাই উঠি আহি সুধিলেহি।

"খাম। কিন্তু তুমি মোক মেডাম বুলি নহয়, বা বুলি মাতিবা। হ'ব নে?"

"ঠিক আছে বা।" মণিকাৰ চকু কেইটা যেন উজলি উঠিছিল। কিছুমান মানুহে কেৱল নিজৰ উপস্থিতিৰেই পোহৰাই তুলিব পাৰে চৌপাশ। সন্ধ্যাও যেন তেনেকুৱাই এজনী ছোৱালী।

হঠাৎ অনুৰণে সেহাই উঠিল,

Kaushik

"পানীটো দিয়াচোন।"

"কি হ'ল?" সন্ধ্যাই সুধিলে।

"বৰ জ্বলা।"

অনুৰণৰ চকু ৰঙা হৈ গৈছে। শব্দ কৰি হাঁহি উঠিলে সন্ধ্যাই,

"হে ভগৱান, এইকণ জ্বলা খাব নোৱাৰা তুমি। বুঢ়া কেঁচুৱাটো ক'ৰবাৰ।"

"মই সৰু পৰাই বেছি জ্বলা খাব নোৱাৰোঁ। পানী অকণ দিয়া না।" বেচেৰাই সেহাইয়ে আছে। মণিকাই পানী এগিলাছ আনি দিলে সিহঁতে গেছৰ কাষতে থোৱা সৰু ফিল্টাৰটোৰ পৰা। সন্ধ্যাই তাইৰ পৰা গিলাছটো লৈ অনুৰণলৈ আগবঢ়াই দিলে। অনুৰণে হাত মেলি ল'বলৈ লওঁতে সন্ধ্যাই গিলাছটো আঁতৰাই দিলে। সন্ধ্যাৰ ধেমালিত মণিকাইও খিলখিলাই হাঁহিছে। অনুৰণে সেহায়েই ক'লে,

"কিনো ধেমালি কৰি আছা অ', দিয়া না।"

এইবাৰ দিলে সন্ধ্যাই। অনুৰণে একো ঢোকাতে গোটেই গিলাছ খালে।

"ভিনদেউ, আৰু এগিলাছ দিম নেকি?"

"ভিনদেউ?"

মণিকাৰ কথাত হাঁহিত ফাটি পৰিছিল অনুৰণ আৰু সন্ধ্যা দুয়োটা। হাঁহিৰ শব্দত কাষৰ মানুহেও ঘূৰি চাইছিল।

"অঁ আকৌ, আপুনি বা হ'লে তেওঁতো ভিনদেউ হ'ব।"

মণিকাই গম্ভীৰ হৈ ক'লে। যেন সিহঁতে হাঁহি দিয়াটো তাইৰ পচন্দ হোৱা নাই।

"আই অ' মোৰ মৰমৰ খুলশালীজনী, চাওঁ" বুলি অনুৰণে থিয় হৈ কোঁচত তুলি লৈছিল মণিকাক। তাইও কোঁচমোঁচ খাই সোমাই পৰিছিল অনুৰণৰ কোঁচত। অনুৰণে মৰমেৰে ক'লে,

"আমি বিয়া হোৱা নাই নহয়, বিয়া হ'লেহে ভিনদেউ হ'ম।"

"তেন্তে বিয়া পাতি লওঁক আকৌ। ইমান ধুনীয়া বাজনী।"

Kaushik

মণিকাৰ কথাত লাজত ৰঙা পৰি গৈছিল সন্ধ্যাৰ মুখ। অনুৰণে হাঁহিটো ৰখাই আকৌ ক'লে,

"মইতো পাতোঁৱেই। তোমাৰ বাজনীহে বিয়া নহয় মোলে।"

এইবাৰ যেন আচৰিত হ'ল মণিকা,

"কি? কিয় বিয়া নোহোৱানো বা? হে যোৱা না প্লিজ।"

"মণি, কি কৈ আছ বাৰু? নাপাই নহয়।"

আইতাকৰ ধমকি শুনি অনুৰণৰ কোঁচৰ পৰা নামি গ'ল মণিকা। সন্ধ্যাই হাঁহি হাঁহি ফ্লাস্কটোত চাহ ভৰাই দিবলে আগুৱাই দিলে। চাহৰ লগতে দেউতাকলৈ ৰুটী লৈ সিহঁত ভিতৰলৈ আহিবলৈ লৈছিল। অনুৰণে দিয়া পইছাটো সামৰি আইতা গৰাকীয়ে ক'লে,

"আপোনালোকৰ নিচিনা মানুহ কম থাকে বহুত। এনেকৈ থাকিব সদায়।"

"বাই বাই বা। আকৌ আহিবা দেই।"

মণিকাই চিঞৰিলে। তাইৰ কপালতে চুমা এটা খাই সন্ধ্যাই নাৰ্চিংহোমৰ ভিতৰলৈ খোজ ল'লে।

"কি কৈছিলা? বিয়া হ'ব লাগে নে কি মই?"

বাটত সন্ধ্যাই অনুৰণক ক'লে। হাঁহি মাৰি অনুৰণে কৈছিল,

"তুমি বিচাৰিলে মোৰ আপত্তি নাই।"

"দেউতা আছেই ভিতৰতে। কৈ চাওঁ নেকি?"

"কোৱা না প্লিজ। পাৰিলে ফাইনেল কৰিয়ে পেলাওঁ।"

"বেছি বদমাছ হৈছা দেই আগতকৈ।"

"তোমাৰ লগত থাকি থাকিয়েই হ'লোঁ।"

"মাৰ খাবা একদম। জ্বলা অকণ খাব নোৱাৰে, ইফালে আকৌ বিয়া পাতে।"

হাঁহি হাঁহি সন্ধ্যাই অনুৰণৰ বাহুত সৰুকৈ ঘোঁচা এটা মাৰিছিল। অনুৰণেও হাঁহিছিল উত্তৰত।

Kaushik

"ল'ৰাজন ক'ৰনো ৰুণ? তাৰ নামটোও সোধা হোৱা নাই।"

দুপৰীয়া কেন্টিনত ভাত খাই আহি ৰেটিং ৰুমৰ তুলীখনত বহি দেউতাকে সন্ধ্যাক সুধিলে। সন্ধ্যা অলপ বাগৰিছে পকাত পাৰি থোৱা তুলীৰ বিচনাখনতে। অনুৰণ ভাত খাই অলপ ওলাই গৈছে। সন্ধ্যাই জানে, এই সময়ত হয়তো সি চিগাৰেট এটা খাব। সন্ধ্যাই একো নকয়। কাৰণ আনবোৰৰ দৰে দিনটোত চিগাৰেট নহ'লে থাকিব নোৱাৰা বা এটাৰ পাছত আনটো খাই থকা ল'ৰা সি নহয়। আৰু তাতকৈও তাইৰ ভাল লাগে সি কেতিয়াও ফাঁকি দি খোৱা নাই। খালে সদায় খাইছোঁ বুলিয়েই কয়।

"ডিব্ৰুগড়ৰ দেউতা। অনুৰণ হাজৰিকা।"

শুই থকাৰ পৰাই সন্ধ্যাই উত্তৰ দিলে।

"বৰ ভাল অ' ল'ৰাটো। তোক অনাৰ পৰা এতিয়ালৈকে, ডাক্তৰৰ লগত কথা পতালৈকে কমখিনি কৰিছে নে সি।"

হয়, সঁচাই অনুৰণে বহুত সহায় কৰিছে সন্ধ্যাক। সি নথকা হ'লে ইমান সোনকালে হয়তো তাই আহিয়ে নাপালেহেঁতেন। তাৰ উপৰিও ডাক্তৰৰ লগত কথা পতাৰ লগতেই আজি গোটেই দিনটো সন্ধ্যাৰ হাজাৰ আপত্তিৰ পাছতো লাগ বুলিলে ঔষধ আনিবলৈ তললৈ যোৱা, দেউতাকলৈ চাহ আনি দিয়া, সৰু সুৰা বস্তু অনা গোটেইবোৰ কৰি গৈছে সি। দেউতাকেও কোনোবা সময়ত নিজৰ ল'ৰাৰ দৰে কিবা কথা আলোচনা কৰিছে তাৰ লগতে। দুপৰীয়া ভাত খাই হোৱাৰ পাছত সন্ধ্যাই তাক এবাৰ কৈছিল,

"তুমি গৈ থাকা নহ'লে।"

অনুৰণে ওলোটাই সুধিছিল,

"কিয়, মই থকাৰ কাৰণে বেয়া পাইছা?"

"নহয় অ', আজিতো ক্লাছ খতিয়েই হ'ল। কাইলৈও যদি--"

তাইৰ কৈ নহওঁতেই অনুৰণে গহীন হৈ কৈছিল,

"হ'ব। সেইবোৰ তুমি চিন্তা কৰিব নালাগে।"

Kaushik

কথাটো কৈ আঁতৰি গৈছিল সি। দুনাই যোৱাৰ কথা উলিওৱা নাছিল সন্ধ্যাই। সি থকাৰ বাবেই চাগে তাইও সাহস পাইছিল। অনুৰণেও কিজানি বুজি পাইয়ে সন্ধ্যাক এৰিব খোজা নাছিল অকলে।

"শেৱালি বৰুৱাৰ এটেণ্ডেণ্ট?"

নাৰ্চজনীৰ মাত শুনি সন্ধ্যা আৰু দেউতাক থিয় হ'ল।

"আপোনালোকৰ পেচেন্টৰ চেঞ্চ আহিছে। এজন এজনকৈ লগ কৰিব পাৰিব।"

আনন্দত চকু পানী বৈ আহিছিল দেউতাকৰ। খৰ খোজেৰে ওলাই গৈছিল নাৰ্চজনীৰ লগত আই চি ইউৰ ফালে। সন্ধ্যাও আগুৱাই গৈ বাৰাণ্ডাতে ৰৈছিল। মনে মনে ধন্যবাদ দিছিল ঈশ্বৰক।

"কি হ'ল ইয়াত ৰৈ আছা যে?"

হঠাৎ অনুৰণক দেখি পৰিৱেশ পাহৰি সাৱটি ধৰিলে সন্ধ্যাই,

"ৰণ, মাৰ চেঞ্চ আহিছে। কথাও পাতিব পাৰিব। দেউতা গৈছে। মাৰ ভাল হৈছে ৰণ।"

ফেঁকুৰি উঠিছে সন্ধ্যাই। অনুৰণে একো নকৈ। দুবাহুৰে আঁকোৱালি লৈছিল তাইক। সন্ধ্যাৰ উশাহ মিলি গৈছিল অনুৰণৰ বুকুৰ স্পন্দনেৰে। কেই মূহুৰ্ত মানৰ পাছত আঁতৰি আহিছিল সন্ধ্যা নিজেই। আৱেগিক হৈ তেনে ব্যৱহাৰ কৰাৰ বাবে যেন চাব পৰা নাছিল তাই অনুৰণলৈ। "ছৰী" বুলি ৰুমটোৰ ভিতৰলৈ সোমাই গ'ল সন্ধ্যা।

"চেঞ্চ আহিছে যদিও উইকনেছ আছে অলপ। কিন্তু বহুত ফাষ্ট ৰিকভাৰী হৈছে। সকলো ঠিকে থাকিলে কাইলৈ ছেমি আই চি ইউ লৈ উলিয়াই দিব। তাত এদিন ৰাখি কেবিনলৈ দি দিব। তাৰ পাছতে ৰিলিজেই ল'ব পাৰিব।"

অনুৰণে কথাখিনি কৈ আছিল সন্ধ্যা আৰু দেউতাকৰ আগত। সি ডাক্তৰৰ কেবিনত গৈ কথা পাতিছিল। কথাখিনি শুনি দেউতাকৰ চকুযোৰ উজ্জ্বল হৈ পৰিছে।

"বৰুৱা, ল'ৰাটোৱে পিঠা লৈ আনিছিল ঘৰৰ পৰা। লওঁক, আপোনাৰ ছোৱালীকো দিয়ক।"

ওচৰৰ মানুহ গৰাকীয়ে টিফিন এটা আগবঢ়াই দিলে দেউতাকৰ ফালে। মানুহ গৰাকী সন্ধ্যাৰ দেউতাকতকৈ বয়সত ডাঙৰ হ'ব। এইকেইদিন লগ পাই নিজৰ দৰেই হৈ

Kaushik

পৰিছে। অথনি ভাত খাবলৈ যোৱাৰ আগত সন্ধ্যাও চিনাকি হৈছিল তেওঁৰ লগত। মৰমিয়াল মানুহগৰাকীক "জেঠাই" বুলি সম্বোধন কৰিছিল তাই। জেঠায়ে দিয়া পিঠাৰেই আবেলিটো পাৰ কৰিলে সন্ধ্যাহঁতে।

আই চি ইউৰ পেচেন্টক দিনটোত দুবাৰ লগ কৰিবলৈ দিয়ে। এবাৰ ৰাতিপুৱা এবাৰ আবেলি। আজি দিনটোতো গ'লেই। সন্ধ্যাই কাইলৈহে লগ পাব মাকক।

নাৰ্চিংহোমখনৰ পাঁচ নম্বৰ মহলাত সৰুকৈ কেন্টিনখন। আচলতে সেইটো মহলা ভালকৈ বনাই হোৱাই নাই। বহল ছাদখনৰ এমূৰতে কিবাকৈ কেন্টিনখন সাজু কৰি থৈছে। দিনত মিস্ত্ৰী লাগিয়েই থাকে। পিছে ৰাতি ছাদখনৰ ৰূপ যেন বেলেগ হৈ পৰিছে। ৰাতি ভাত খাবলৈ গৈ ছাদৰ পৰা তললৈ চালে সন্ধ্যাই। ব্যস্ত মহানগৰ। গাড়ী মটৰৰ পোহৰত যেন পথটোৱে পোহৰৰ চাদৰ এখনহে মেৰিয়াইছে। অহা যোৱা কৰি আছে অগণন লোক। কাৰো যেন সময় নাই। নিজৰ লগতে নিজে ব্যস্ত। সেইবাবেই চাগে অনুৰাধা শৰ্মা পূজাৰী বাইদেৱে লিখিছিল, "জীৱন, তোৰ বাবেইতো যতমানে আয়োজন।" সঁচাই, এই যে মানুহৰ আয়োজনবোৰ এইবোৰৰ সকলোখিনি বাৰু প্ৰয়োজন নে! নে আধা অকল বিলাসিতা।

"ঐ, ভাত খাবলৈ ৰৈ আছে দেউতা।"

ছাদত ৰৈ তললৈ চাই থকা সন্ধ্যাক ক'লে অনুৰণে। "ব'লা" বুলি আঁতৰি আহিল তাই।

ভাত আঞ্জাবোৰত মচলা কম। একেবাৰেই নাম মাত্ৰ। ৰোগীৰ বাবে সম্পূৰ্ণ উপযুক্ত। সন্ধ্যাই ভাল নাপালে যদিও দেউতাকৰ বাবেই খালে। তাই নাখালে আকৌ দেউতাকে চিন্তাহে কৰিব। খাই বৈ আকৌ ৰেটিং ৰুম পালেহি সিহঁত।

"আপোনালোক শোঁৱক আংকল। মই চকীতে শুব পাৰিম।"

সন্ধ্যাই বিচনা সাজু কৰোঁতেই অনুৰণে ক'লে। দেউতাকে আপত্তি কৰিছে,

"নাই নাই, দুখন তুলী আছে নহয়। কাপোৰৰ বেগবোৰ নমাই পকাত থ'লেই হ'ল। তোমালোক শুব পাৰিবা। মই পাৰিম চকীতে।"

কিন্তু অনুৰণে নামানিলে। বয়সিয়াল লোকজনক ৰাতিটো চকীত বহোৱাই নিজে আৰামত শুই থকাটো অনুৰণৰ পক্ষে অসম্ভৱ বুলি সন্ধ্যাইও জানে। শেষত অনুৰণ

Kaushik

চকীতে শোৱাটো ঠিক হ'ল। শোৱানো আৰু কি! বহাতেই টোপনি যোৱাহে। সন্ধ্যা আৰু দেউতাক বিচনাত পৰিল। এচি অন হৈ থকাৰ বাবে এই আগষ্ট মাহটো ডিচেম্বৰৰ দৰে ঠাণ্ডা লাগিছে। ঘৰৰ পৰা অনা পাতল কম্বলখন গাত লৈ লৈছে সন্ধ্যাই। ৰুমটোৰ লাইটবোৰ লাহে লাহে নুমুৱাই দিছে। সকলোৱে নিজৰ বিচনাত টোপনিত। শেষত পাতল নীলা ৰঙৰ লাইট এটাহে জ্বলি ৰ'ল। সময় পাৰ হৈছে। অনুৰণে বহাতেই মাজে মাজে টোপনি যায়, আকৌ সাৰ পায়। সময় বাৰটা বাজি গৈছিল হ'বলা। অনুৰণে দেখিলে সন্ধ্যাৰ গাৰ পৰা আঁতৰি গৈছে কম্বলখন। কোঁচ মোঁচ খাই আছে বেচেৰী ঠাণ্ডাত। অনুৰণ উঠি আহি কম্বলখন তাইৰ গাত ভালকৈ দি দিলে। কেই মূহুর্তমান চাই ৰৈছিল সি শুই থকা সন্ধ্যাৰ নিষ্পাপ মুখখনলৈ। তাৰ পাছতে আকৌ উঠি গ'ল চকীলৈ। লাহে লাহে বহাতেই টোপনি গৈছিল সি।

শেষ ৰাতিৰ ফালে এবাৰ সাৰ পালে অনুৰণে। চকুটো মেলিয়েই আচৰিত হ'ল সি। কাৰণ তাৰ গাত সন্ধ্যাই লৈ থকা কম্বলখন। থকমককৈ উঠি দেখে সন্ধ্যা তাৰ কাষৰ চকীখনতে বহি আছে। অনুৰণে সুধিলে,

"তুমি? উঠি আহিলা যে?"

সন্ধ্যাই সৰু সৰু মাতেৰে কৈছিল,

"বেয়া সপোন এটা দেখিছিলোঁ। সাৰ পাই গ'লো।"

"মোক জগাই নিদিলা কিয়?"

"শুই আছিলা যে তুমি।"

"এপাক ওলাই যাঁও ব'লা। যাবা?" অনুৰণে সন্ধ্যাৰ বাহুত হাতটো থৈছিল।

"ব'লা।" সন্ধ্যাই ক'লে।

লগে লগে ওলাই আহিল সিহঁত। মহানগৰী ব্যস্ত পথবোৰে এই শেষ ৰাতিও যেন জিৰণি পোৱা নাই। চলিয়েই আছে গাড়ী। দোকান পোহাৰো খোলায়েই আছে কেইবাখনো। অথনি মণিকাহঁতৰ গুমটিখন অৱশ্যে বন্ধ। ষ্ট্ৰীট লাইটবোৰে হালধীয়া কৰিছিল পথটো। লগতে গাড়ীৰ পোহৰ। এই সকলো পোহৰক নস্যাৎ কৰিও জিলিকি আছিল জোনটো। কোনোবা সময়ত গাড়ী কমি গ'লে জোনাকত জিলিকি ৰূপালী হৈ উঠে ঠাইটুকুৰ। ষ্ট্ৰীট

Kaushik

লাইটৰ অহংকাৰ চূৰমাৰ কৰি যেন জোনে দিয়া ৰূপালী সাজ পিন্ধে পথটোৱে। মাজে মাজে দুই এচাটি বতাহত মেলি থোৱা সন্ধ্যাৰ চুলি কোঁচা উৰিছে। লগতে অনুৰণৰ চাৰ্টৰ আগটোও। চুলিখিনি বিশেষ কায়দাৰে কাণৰ কাষলৈ থেলি সন্ধ্যাই ক'লে,

"আজি পূৰ্ণিমা নেকি বাৰু?"

অনুৰণে তেতিয়াহে জোনটোলৈ মন কৰিছিল। বগা থাল এখন যেন ওলোমাই থৈছে আকাশত কোনোবাই। জোনটো চাই অনুৰণে ক'লে,

"হয় হ'বলা।"

"হয়েই। চোৱা না জোনটো। ইমান ধুনীয়া ন?"

অনুৰণে সামান্য হাঁহিৰে কৈছিল,

"জোন চাওঁতে চাওঁতে কোনোবা দিনা জোনবাইয়েই হৈ যাবা তুমি।"

"না, মই জোনবাই নহওঁ। হ'বও নোখোজো।"

"কিয়? ভালপোৱা বোলে আকৌ।"

"জোন নহয়, মই জোনাকহে হ'ব খোজো। জোন সদায় আকাশত থাকে আৰু জোনাক মাটিলৈ নামি আহে। আকাশত জোন হৈ থাকিব নোখোজো মই, সকলোৰে মাজত জোনাক হৈ থাকিব বিচাৰোঁ।"

খোজৰ লগে লগে জোনবাইটোলৈ চাই অনৰ্গল কৈ যোৱা সন্ধ্যালৈ একেথৰে চাই ৰৈছে অনুৰণে। জোন ভাল পাই জোনাক হ'ব বিচৰা ছোৱালীজনীলৈ অনুৰণে যেন গোটেই জীৱন চাইয়ে কটাই দিব পাৰিব। অনুৰণে একো নোকোৱা দেখি সন্ধ্যাই সুধিলে,

"কি হ'ল? ব'ৰ কৰিছোঁ চাগে ন?"

অনুৰণে হাঁহিলে,

"নাই, আৰু কোৱা।"

"কি ক'ম?"

"জোনৰ কথা, জোনাকৰ কথা।"

"আজি ইমান মন গ'ল নে শুনিবলৈ?"

Kaushik

অনুৰণে একো নক'লে। সন্ধ্যায়ে আকৌ ক'লে,

"ৰণ"

"কোৱা"

"কেতিয়াবা মোৰোতো শুনিবলৈ মন যায়।"

"শুনাবলৈ আৰু কি আছে, তুমিতো জানাই চব।"

হাঁহি মাৰি সন্ধ্যাই কৈছিল,

"জানো, তুমি যে এনেকুৱাই। আৰু সেইবাবেই ভাল লাগে।"

অনুৰণেও হাঁহিছিল। ক'ব নোৱাৰাকৈ অনুৰণৰ উমাল হাতৰ মাজত সোমাই পৰিছে সন্ধ্যাৰ কোমল হাতখন। খোজবোৰ ধীৰ হৈছিল। বতাহজাকত উৰা সন্ধ্যাৰ চুলিয়ে অনুৰণৰ চকুও স্পৰ্শ কৰিছে। গাড়ীবোৰ কমি আহিছে। আকাশত জোনটোৰ হাঁহিবোৰ লৈ নামি আহিছে এজাক ৰূপালী জোনাক। কোনোবা দোকানত বাজি থকা জুবিনৰ নতুন গান এটা কাণত পৰিছিলহি সন্ধ্যা আৰু অনুৰণৰ,

"নিথৰ ৰাতি তোমাৰ বুকুৰ শব্দ শুনোঁ মই,

তুমি চাগে এনেকুৱাই

এন্ধাৰ পথৰ জোনাক ৰাতি খোজে খোজে মই

তুমি চাগে এনেকুৱাই......"

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 106

"অনুৰণৰ হৈছে কি হ'ল মানে! যোৱা চাৰি বছৰে এজনী ছোৱালীৰ লগতো ভালকৈ কথা পাতি পোৱা নাই, এতিয়া সন্ধ্যাৰ পিছত ইমান লাগিবলৈ কিহে পাইছে?"

ক্লাছৰ পৰা আহি ভাত কেইটা খাইয়ে প্ৰাগজ্যোতিকাৰ ৰুমত বহা আড্ডাত গৰজি উঠিল জুৰিয়ে। ৰুমটোৰ সিখন বিচনাত বাগৰি থকা অনুৰাধাই এবাৰ চাইছিল তাইৰ ফালে। কালিয়েই অনুৰণ সেই সন্ধ্যাক লৈ গ'ল যি গ'লেই, আজি এই আবেলিলৈকে দেখা সাক্ষাৎ নাই। জুৰিয়ে এবাৰ ফোন কৰিছিল, ক'লে যে সন্ধ্যাৰ মাকৰ অলপ ছিৰিয়াছ। এক্সিডেন্ট হৈছে হেনো। অনুৰাধাই ৰাতিপুৱা সন্ধ্যালৈ ফোন কৰিছিল। আজি মাকক আই চি ইউৰ পৰা কেবিনলৈ উলিয়াই দিয়াৰ কথা। তাৰ মানে ভাল হৈছে। এই সময়ত সন্ধ্যাৰ কাষত কোনোবা এজন থকাটো জৰুৰী। তাই ছোৱালীজনী এনেও আলফুল। সেইবাবে অনুৰণ থকাত অনুৰাধাই বেয়া পোৱা নাছিল। কিন্তু জুৰিহঁতে কথাটো সহজ ভাৱে ল'ব পৰা নাই। জুৰিয়ে এবাৰ অনুৰাধাক কওঁতে তাই ওলোটাইহে ক'লে,

"কিনো নোহোৱা কামটো কৰিলে অনুৰণে। আচলতে আমিও এপাক যাবহে লাগিছিল সন্ধ্যাৰ ওচৰলৈ।"

তাৰ পাছত জুৰিয়ে একো কোৱা নাছিল তাইক। এতিয়া ক্লাছৰ পৰা আহি ভাত খাই বিচনাত পৰোঁতেই পৰী আৰু প্ৰিয়া আহি ওলালহি। কথাৰ মাজতে সন্ধ্যাৰ কথা ওলোৱাত জুৰিয়ে আকৌ আৰম্ভ কৰিলে। তাইৰ লগতে সুৰ মিলাই প্ৰিয়াইও ক'লে,

"সঁচাকৈ ৰে। আৰু সন্ধ্যাইও এইবোৰ কৰি আছে কি মানে, অনুৰণৰ নিচিনা ল'ৰা এটাক এইদৰে খটাবলৈ লাজ লগা নাই নে তাইৰ?"

পৰীয়েও যোগ দিলে লগতে,

"আমি হ'লে যিমান যি হ'লেও এনেকৈ যে লগৰ ল'ৰা এটাক খটুৱাব নোৱাৰোঁ দেই।"

অনুৰাধাই কেৰাহিকৈ চাইছিল মাত্ৰ। একো মুখেৰে মতা নাই তাই। জুৰিয়ে আকৌ কৈছে,

"বুজিছোঁ তাইৰ মাক নাৰ্চিংহোমত আছে ; সেইবুলি সিহঁতৰ পৰিয়ালত কি কোনো মানুহ নাই নেকি? আৰু অনুৰণে থাকোঁ বুলি ক'লেই যেনিবা তাই কিয় তাক ক্লাছ খতি কৰাই ৰখাই থৈছে?"

"আচলতে এইবোৰ সন্ধ্যাৰ বুদ্ধি। আগতে দেখা নাই অভিমন্যুক কেনেকৈ ইউজ কৰি আছিল। অমুকলৈ যাওঁ অভি, তমুকটো লাগে অভি। শেষত যেতিয়া বেচেৰা তাইৰ প্ৰেমত পৰিল, তাই দিলে লাঠটো মাৰি। আৰু এতিয়া অনুৰণক লম্ভিছে। এই সন্ধ্যাৰ

Kaushik

নিচিনা ছোৱালীবোৰ এক নম্বৰ কেৰেক্টাৰলেচ। ল'ৰাৰ পাত্তা পাবলৈ যিকোনো পৰ্যায়লৈ যাব পাৰে ইহঁত।"

পৰীয়ে অনৰ্গল কৈ গৈ আছে। তাইৰ মুখখন চোকা বুলি সকলোৱে জানে, কিন্তু সন্ধ্যাক লৈ ইমানখিনি বেয়া কথা অনুৰাধাৰ সহ্য নহ'ল। বিচনাৰ পৰা উঠিল এইবাৰ চিঞৰি উঠিল তাই,

"এনাফ য়াৰ এনাফ। কেনেকুৱা ফাল্টু মেনটেলিটী লৈ জীয়াই আছা তোমালোক। নিজৰে লগৰ ছোৱালী এজনীৰ কথা ইমান বেয়াকৈ কেনেকৈ ভাবিব পাৰা? তাকো সন্ধ্যাৰ নিচিনা এজনী ছোৱালীক। পাঁচ বছৰ পাইছাতো তোমালোকে? তেও তাইক বুজিয়ে নাপালা। প্ৰিয়া, আগৰ ছেমিষ্টাৰত তোমাৰ বেমাৰ হওঁতে কোন আছিল লগত? পৰীয়ে চোন অসুবিধা হৈ আছে বুলি খবৰ কৰিবলৈও নাহিল। গোটেই ৰাতি সন্ধ্যায়ে চাই থকা নাছিল জানো? কোন খন মুখেৰে সেইজনী সন্ধ্যাৰ কথা এনেকৈ কৈছা? আৰু পৰী, সন্ধ্যাৰ কেৰেক্টাৰ চাৰ্টিফিকেট তোমাৰ নিচিনা এজনী ছোৱালীয়ে নিদিলেওঁ হ'ব। আগতে নিজক ঠিক কৰা।"

জুৰিয়ে আচৰিত হৈ চাইছিল অনুৰাধালৈ। যোৱা এবছৰে তাই অনুৰাধাৰ লগত একেটা ৰুমতে আছে। কিন্তু এইটো সুৰত কথা কোৱা তাই আজি প্ৰথম দেখিছে। প্ৰিয়া আগুৱাই আহিল অনুৰাধাৰ ওচৰলৈ। অনুৰাধাৰ বাহুত হাতটো থৈ ক'লে,

"অনুৰাধা, সন্ধ্যাক তুমি প্ৰথম পাইছা কাৰণে তাইক খুব ভাল বুলি ভাবি আছা।"

লগে লগে পৰীয়ে মাত দিলে,

"অঁতো। তাই যিমান মহান দেখুৱাই, সিমান ভালো নহয়।"

অনুৰাধাই এইবাৰ দাঁত কৰচি গহীন হৈ কৈ উঠিল,

"সন্ধ্যাৰ বদনাম গোৱাৰ যদি ইমান চখ লাগিছে, তেন্তে বেলেগত গৈ গোৱা। ইয়াত নহয়। এইটো অকল জুৰিৰ ৰুম নহয়। ইমান নেৰ' মাইণ্ডেড মানুহ মোৰ ৰুমলৈ নাহিলেই ভাল পাম।"

অনুৰাধাই এইদৰে কৈ দিব বুলি পৰীহঁতে সপোনতো ভবা নাছিল। ইয়াৰ পাছত আৰু ক'বলগীয়া একোৱেই নাথাকিল। মুখেৰে একো নামাতি সুৰ সুৰকৈ পৰী আৰু প্ৰিয়া ওলাই গ'ল। অনুৰাধাৰ ৰূপ দেখি জুৰিয়েও একো ক'বলৈ সাহ নকৰিলে।

Kaushik

প্ৰিয়াহঁত যোৱাৰ পাছত বিচনাতে অলপ সময় পৰি আছিল অনুৰাধা। সিখন বিচনাত জুৰি। মাজে মাজে তাই অনুৰাধালৈ চাই, অনুৰাধা লেপটপত কিবা চোৱাত ব্যস্ত। এবাৰত লেপটপ জপাই বিচনাৰ পৰা উঠিল অনুৰাধা। হয়তো তাই এতিয়া শুব। সুযোগ পাই জুৰিয়ে মাত লগালে,

"অনু, শুন চোন।"

"অঁ, ক" লেপটপটো টেবুললৈ থৈ অনুৰাধাই ক'লে। বিচনাত লেপেটা কাঢ়ি বহি লৈ জুৰিয়ে কৈছিল,

"তইয়েতো কৈছিলি যে তই অনুৰণক ভাল পাঁৱ। হয় নে নহয়?"

হয়, জুৰিয়ে মিছাকৈ কোৱা নাই। প্ৰথম আহিয়ে কেইদিন মানৰ পাছত অনুৰাধাই নিজে জুৰিক সুধিছিল,

"অনুৰণ ল'ৰাটো কেনেকুৱা বাৰু?"

জুৰি যেন জঁপিয়াই হে উঠিছিল,

"আৰে ৱাহ। হঠাৎ অনুৰণৰ কথা?"

"কচোন। কেনেকুৱা সি?"

জুৰিয়ে অনৰ্গল কৈ গৈছিল অনুৰণৰ কথা,

"আমাৰ ক্লাছৰ চবতকৈ ভাল ল'ৰা। অলপ লাজকুৰীয়া, কিন্তু বহুত ভদ্ৰ। আৰু হেল্পফুল। ঘৰ ডিব্ৰুগড়ত। আৰু কিবা ক'ম?"

অনুৰাধাই লাজ লাজকৈ উঠি গৈছিল। তাৰ পাছত এদিন কথাই কথাই অনুৰাধাই জুৰিক কৈ পেলাইছিল,

"অনুৰণক মোৰ ভাল লাগে।"

"মজ্জা। তহঁত মিলিবিও। নামো একেই যেতিয়া।" জুৰিয়ে উছাহেৰে কৈছিল।

সেইবাবেই জুৰিয়ে আজি এই প্ৰশ্নটো কৰিছে। অনুৰাধাই উত্তৰ দিলে,

"হয়, কৈছিলোঁ তাক ভাল পাওঁ বুলি। কিয়?"

জুৰিয়ে এইবাৰ অনুৰাধাৰ ওচৰলৈ আহি ক'লে,

Kaushik

"তেন্তে সন্ধ্যাৰ লগত অনুৰণ থকাটো তই ইমান সাধাৰণভাৱে লৈছ যে? সন্ধ্যালৈ তোৰ খং উঠা নাই?"

অনুৰাধাই শান্ত মাতেৰে ক'লে,

"অনুৰণক ভাল পোৱাৰ অৰ্থ সন্ধ্যাক বেয়া পোৱা কেনেকৈ হ'ব পাৰে? হয়, মই অনুৰণৰ কাষ চাপিব খোজো সঁচা কিন্তু সন্ধ্যাৰ ক্ষতি কৰি নহয়।"

"নাজানোঁ আৰু, বুজিয়ে নাপাওঁ তোৰ কথাবোৰ।" জুৰি গৈ আকৌ নিজৰ বিচনাত উঠিল গৈ। এইবাৰ অনুৰাধাই জুৰিক সুধিলে,

"মইও এটা কথা বুজি পোৱা নাই জুৰি। তইয়ে এদিন কৈছিলি যে প্ৰথম বাৰ ভাৰ্চিটী উইকৰ বিহুত হোষ্টেলত কোনেও গম নোপোৱাকৈ তই নিজৰ গগণাটোও সন্ধ্যাক বজাবলৈ দিছিলি। তেন্তে তই ইমান মৰম কৰা ছোৱালীজনীক আজি ইমান বেয়া পোৱা হ'লি যে?"

জুৰিৰ মুখখন গহীন হৈ পৰিছিল। খঙেৰে কৈছিল তাই,

"তাইক গগণাটো দিয়াটোৱেইতো মোৰ ডাঙৰ ভুল হ'ল।"

"মানে?" অনুৰাধা জুৰিৰ বিচনালৈ আহিল। জুৰিয়ে কৈ গৈছে,

"সন্ধ্যাক মই বাৰে বাৰে কৈছিলোঁ যে সেই কথাটো যাতে কোনেও গম নাপায়। কিন্তু তাই কি কৰিলে জান'? পিছৰ বছৰ ভাৰ্চিটী উইকত আমাৰ প্ৰিফেক্টৰ আগত সেই কথাটো কৈ দিলে। তাৰ পাছত গোটেই হোষ্টেলত ছিনিয়ৰৰ গালি খাই মোৰ অৱস্থা নাই। অকল সেয়াই নহয়, তাই হেনো মোক বিহু দলত নল'বলৈও কৈছিল। শেষত বহুত কন্দা কটাৰ পাছত হে ঠিক হৈছিলগৈ।"

জুৰিৰ কথাত আচৰিত হৈছিল অনুৰাধা,

"আচৰিত, সন্ধ্যাৰ দৰে ছোৱালী এজনীয়ে এনেকুৱা কাম কৰিব পাৰে জানো? তই সুধিছিলি নে তাইক?"

"নাই সোধা, প্ৰিফেক্টে হাক দিছিল। আৰু তইও যাতে সুধি নিদিয় তাইক। তাইৰ কাৰণে যে মোৰ সমস্যা হৈছিল, সেইটো জানিবলৈ নিদিওঁ তাইক। যাতে তাই বুজি পাই, তাইৰ সেই লেতেৰা বুদ্ধিয়ে একো কাম নিদিলে।"

Kaushik

কথাখিনি কৈ জুৰি ওলাই গৈছিল ৰুমৰ পৰা। অনুৰাধা আচৰিত হৈ বহি ৰৈছিল। জুৰি যোৱাৰ ফালে চাই তাই নিজকে কোৱাৰ দৰে ক'লে,

"মিছা কথা। সন্ধ্যাই এনেকুৱা অন্ততঃ কৰিব নোৱাৰে। কোনোবা আছে, যিয়ে তাইক সকলোৰে আগত বেয়া কৰি আছে। কিন্তু কোন বাৰু!"

চিন্তাৰ আঁত বিচাৰি নাপাই কথাবোৰকে ভাবি ভাবি বিচনাত বাগৰিল অনুৰাধা।

আই চি ইউৰ বাহিৰত ৰৈ আছে সন্ধ্যা। লগত অনুৰণ। অলপ পাছতে পেচেন্টক লগ কৰিবলৈ দিব। দিনটোত অকল দুবাৰেই লগ কৰিবলৈ দিয়ে। সেয়ে আজি ৰাতিপুৱাতে সোনকালে ব্ৰেক ফাষ্ট কৰি তাই আজৰি হৈ আছে। ডাক্তৰে কোৱা মতে দিনটো ভালদৰে পাৰ হ'লে আবেলিলৈ মাকক কেবিনলৈ উলিয়াই দিবও পাৰে। মাকক এই অৱস্থাত চাবলৈ নিজকে সাজু কৰিছেও সন্ধ্যাই। ৰৈ থকাৰ মাজতে তাই অনুৰণক ক'লে,

"তুমি কিন্তু আজি যাবাগৈ।"

"কিয়? ইমান প্ৰব্লেম হৈছে নে মই থকাৰ কাৰণে?"

"সেইটো কথা নহয় ৰণ। তোমাৰ আজিও ক্লাছ খতি হ'ল। তাতে ৰাতিও ভালকৈ টোপনি যোৱা নাই। এনেকৈ নালাগে।"

অনুৰণে কিবা ক'বলৈ লওঁতেই নাৰ্চ গৰাকীয়ে আহি মাতিলেহি। সন্ধ্যা আই চি ইউৰ ভিতৰলৈ সোমাই গ'ল। আই চি ইউৰ বিচনাত বেণ্ডেজ, আৰু চেলাইন লৈ সৌজনী মাক। দিনটো পাকঘৰৰ পৰা আগফালৰ গোহালিলৈকে গোটেই ঘৰখন চম্ভালি থকা মাক আজি পৰি আছে মূৰত বেণ্ডেজ লৈ। খুব কষ্টৰে চকুপানী খিনি ৰখালে সন্ধ্যাই। মাকৰ ওচৰ চাপি কপালত হাত বুলাই দিলে তাই। সেহাই সেহাই মাকে সুধিলে,

"ৰুণ, কিবা খালি নে?"

মাক যে, সদায় মাকেই। নিজে হাজাৰ কষ্টত থাকক, কিন্তু সন্তানৰ চিন্তা সদায় মূৰত থাকিবই। সন্ধ্যাই মৰমেৰে ক'লে,

"খালোঁ মা।"

"আৰু দেউতাৰে? বেছি চিন্তা কৰিবলৈ নিদিবি দেউতাৰক।"

Kaushik

"নাই, ঠিকে আছে দেউতা।"

"ঘৰত ভাল নে চবৰে? ফুলৰ টাব কেইটাত পানী দি আছে নে খুৰীক সুধিবিচোন। নতুনকৈ ৰোৱা যে মৰহি যাব।"

"চব ঠিকে আছে মা। তুমি এইবোৰ ভাবি নাথাকিবা।"

আৰু দুই এটা কথা সুধি ওলাই আহিল সন্ধ্যা। আই চি ইউত দুৱাৰ মুখ পাইয়ে হুকহুকাই কান্দি উঠিল তাই। অথনিৰে পৰা চেঁপি ৰখা কান্দোনখিনি যেন পাৰ ভাঙি ওলাই আহিছে। মূৰত প্ৰচণ্ড আঘাত, হাতত চেলাইন লৈও মাকৰ চিন্তা ফুলৰ টাব, ঘৰৰ মানুহবোৰ। নিজক সম্পূৰ্ণ ৰূপে পাহৰি কেৱল আনৰ বাবে জীয়াই থকা এগৰাকী নাৰীৰ বাবেহে কিজানি সম্ভৱ। সেয়ে হয়তো কোৱা হয়, নাৰী ত্যাগৰ এক অনন্য প্ৰতীক। কান্দি থকা সন্ধ্যাৰ বাহুত হাত থ'লে অনুৰণে। সন্ধ্যাই ফেঁকুৰি ফেঁকুৰি কৈ উঠিল,

"জানা অনুৰণ, মাৰ চিন্তা মই কিবা খালোঁ নে নাই দেউতা ঠিকে আছে নে নাই আৰু--"

অনুৰণে শান্ত মাতেৰে ক'লে,

"সেইবাবেই তেওঁ মা। মা হোৱা জানো ইমান সহজ! নিজৰ ইচ্ছা অনিচ্ছা চব বাদ দি আনৰ নামত জীৱনটো সজাব অকল মায়েহে পাৰে।"

এৰা, ঠিকেই কৈছে অনুৰণে। "মা" যেন ঈশ্বৰৰে এক মমতাময়ী ৰূপ। অনুৰণে আকৌ ক'লে,

"চিন্তা নকৰিবা। সোনকালে ভাল হ'ব মাৰ।"

সিহঁত আহি ৱেটিং ৰুম পালেহি। তাত আহি দেখে সন্ধ্যাহঁতৰ ঘৰৰ পৰা খুৰাক দুজন আহিছে। এজন খুৰাক প্ৰথম মাকক গুৱাহাটীলৈ অনাৰ দিনাও আহিছিল। এৰাতি আছিলোঁ ইয়াতে। পিছে তেওঁৰ অফিচৰ কামৰ তাগিদাত সন্ধ্যাহঁত অহাৰ দিনা ৰাতিপুৱা সোনকালেই উভতি গ'ল। এতিয়া আকৌ আহিছে। সন্ধ্যাই সোমাই গৈয়ে অনুৰণৰ লগত তেওঁলোকক চিনাকি কৰাই দিলে। সন্ধ্যাৰ দেউতাকে লগে লগে ক'লে,

"তেওঁ আছে বাবেই বহুখিনি সকাহ হৈছে কালিৰ দিনটোৰ পৰা।"

সন্ধ্যাই লগে লগে কৃত্ৰিম অভিমানেৰে ক'লে,

Kaushik

"হয় নেকি? মই এনেইহে আছোঁ মানে ন?"

দুখৰ মাজতো হাঁহি বিৰিঙিছিল সকলোৰে মুখত। ডাঙৰ খুৰাকে সন্ধ্যাহঁতক ক'লে,

"ডাক্তৰে কৈছে আজি আবেলিলৈ কেবিনলৈ উলিয়াই দিব আৰু কাইলৈ আমি ৰিলিজ লৈ নিব পাৰিম। গতিকে মোৰ মতে তোমালোক দুইটা এতিয়া গৈ থাকা নেকি"

লগে লগে সন্ধ্যাই চিঞৰাৰ দৰে ক'লে,

"না না। মই মাক একদম ঘৰত থৈ হে যাম। এতিয়াই নাযাওঁ। অনুৰণক কৈছোঁ আজি যাবলৈ।"

"নহয় ৰুণ। অনুৰণৰ লগতে তইও যা গৈ। আজিতো ইহঁত দুটা থাকিবয়েই। একো অসুবিধা নহয়। আৰু কাইলৈতো ঘৰলৈ নিমেই। অহা শনি বাৰ মানলৈ তই ঘৰলৈ আহি যাবি। এনেকৈতো তোৰো পঢ়া খতি হৈ আছে।"

দেউতাকে বুজাইছিল। লগতে সিজন খুৰাকেও ক'লে,

"দেউতাৰে ঠিকেই কৈছে ৰুণজুন। তই গৈ দে। এতিয়া বৌৰ ভাল হৈছেই যেতিয়া চিন্তাৰ একো কথাই নাই।"

তথাপি সন্ধ্যাই অলপ আপত্তি কৰিছিল যদিও সকলোৰে বুজনিত তাই আহিবলৈ ওলাল। অহাৰ সময়ত কাষৰ জেঠাই গৰাকীক মাত লগাওঁতে তেওঁ সন্ধ্যাক মৰম কৰি ক'লে,

"যোৱাগৈ ৰুণজুন, আকৌ লগ পাম কেতিয়াবা।"

কিয় জানো, সন্ধ্যাৰ মনটো গধূৰ হৈ পৰিছিল। বাহিৰত আহি সৰু খুৰাকক কৈছিল তাই,

"খুৰা, দেউতাক চাব।"

"তই চিন্তা নকৰিবি। ভালকৈ থাকিবি।"

খুৰাকে আশ্বাস দিলে। অনুৰণৰ হাতত ধৰি দেউতাকে থোকাথুকি মাতেৰে ক'লে,

"কোনোবা জনমত তুমি মোৰ ল'ৰা আছিলা চাগে। ঈশ্বৰে ভাল কৰক তোমাৰ।"

উত্তৰত অনুৰণে সাৱটি ধৰিছিল তেওঁক। সন্ধ্যাৰ দুচকুত পানীৰ টোপাল জমা হৈছিল। অনুৰণক ভাল পোৱাৰ বাবে নিজলৈকে গৌৰৱ হৈছিল তাইৰ।

Kaushik

"বৌৰ ভাল হোৱাৰ পাছত এদিন ৰূণৰ লগতে আহিবা আমাৰ ঘৰলৈ।"

খুৰাকৰ কথাত "হ'ব" বুলি মূৰ দুপিয়াই বাইক ষ্টাৰ্ট দিলে অনুৰণে। সন্ধ্যাও বাইকত উঠিল। খুৰাকহঁতলৈ হাত জোকাৰি আগবাঢ়িল সিহঁত।

"ঐ, ৰ'বা ৰ'বা। ৰখোৱাচোন।"

নাৰ্চিংহোমৰ গেটখন সাৰোঁতেই সন্ধ্যাৰ চিঞৰত বাইকখন ৰখাই দিলে অনুৰণে। সন্ধ্যা বাইকৰ পৰা নামি আগবাঢ়ি গ'ল মণিকাহঁতৰ গুমটিখনৰ ফালে। তাইক দেখিয়ে আগবাঢ়ি আহিল মণিকা,

"বা, কি খাবা কোৱা।"

সন্ধ্যাই কোঁচত দাঙি ল'লে তাইক। মৰমেৰে ক'লে,

"এতিয়া একো নাখাওঁ। আমি ঘৰলৈ যাওঁগৈ।"

মণিকাৰ যেন মনটো মৰি গৈছিল। হাঁহিটো শেঁতা পৰিছিল তাইৰ। লাহে লাহে সন্ধ্যাৰ কোঁচৰ পৰা নামি আহিল। মণিকাৰ আইতাকো আগবাঢ়ি আহিছিল। সন্ধ্যাই বয়সস্থ মানুহ গৰাকীক সেঁৱা এটা কৰিলে,

"আপুনি বহুত শক্তিশালী আইতা। আশীৰ্বাদ কৰিব, জীৱনটোত আপোনাৰ দৰে যেন ধৈৰ্যশীল হ'ব পাৰোঁ।"

মানুহগৰাকীৰ চকু চলচলীয়া হৈছিল,

"বহুত কাষ্টমাৰ পালোঁ এইখন দোকানত। আজিলৈকে কোনেও এনেকৈ সেঁৱা কৰি যোৱা নাছিল। যোৱা মাজনী, ভাল হ'ব তোমাৰ।"

সন্ধ্যাই বেগৰ পৰা দুশ টকাৰ নোট এখন উলিয়াই মানুহগৰাকীৰ হাতত গুজি দিলে,

"মণিকাৰ বাবে কিবা এটা কিনিব।"

মানুহ গৰাকীয়ে প্ৰথম আপত্তি কৰিছিল যদিও সন্ধ্যাই জোৰ কৰাত ৰাখি থ'লে। সন্ধ্যা যাবলৈ বাইকত বহোঁতেই মণিকাই চিঞৰ মাৰি আহিল,

"বা, বা ৰ'বা না।"

Kaushik

তাই হাতত ৰাখীৰ দৰে দুডাল কিবা সৰু ৰঙা ৰঙা ৰচী লৈ আহিছিল। সন্ধ্যাৰ ওচৰ পাই ক'লে,

"এই দুডাল ৰাধাকৃষ্ণ মন্দিৰৰ পৰা অনা। মোক নহয় পূজাৰী এজনে দিছিল। যাৰ হাতত এই দুডাল থাকে তেওঁলোক সদায় একলগ হৈ থাকিব। তোমালোকে এই কেইডাল পিন্ধি লোৱা।"

সৰু ছোৱালীজনীৰ সৰলতাত অনুৰণৰো মৰম লাগিল। বাইকৰ পৰা নামি আহি সিও হাতখন আগবঢ়াই দিলে। লগতে সন্ধ্যাইও। মণিকাই দুইটাকে এটা এটাকৈ ৰাখী কেইডাল বান্ধি দিলে। সন্ধ্যাই তাইৰ গালতে চুমা এটা খাই বাইকত বহিল। মণিকাৰ লগতে আইতাকৰো চকুৰ কোণ দুটা সেমেকি উঠিছিল। বাইকখন নেদেখা হোৱালৈকে হাত জোকাৰি আছিল মণিকাই।

ৰেটিং ৰুমৰ সেই জেঠাই গৰাকী, মণিকা আৰু তাইৰ আইতাক সকলোৰে ছবি বুকুত বান্ধি উভতি আহিছিল সন্ধ্যা। সঁচাই, কি বিচিত্ৰ এই পৃথিৱী। মাত্ৰ এদিনৰ চিনাকিতো যে কোনোবা ইমান আপোন হৈ পৰিব পাৰে ভাবিলে আচৰিত লাগে। এই সকল মানুহৰ বাবেই হয়তো অজস্ৰ বেয়াৰ মাজতো পৃথিৱী আজিও ধুনীয়া হৈ আছে।

সন্ধ্যা আৰু অনুৰণ আহি পাওঁতেই দুপৰীয়া হ'ল। ক্লাছ দুদিন খতি হ'ল সিহঁতৰ। আহি পাই গাটো ধুই চিধা লাঞ্চ কৰিয়েই বিচনাত গাটো এৰি দিলে সন্ধ্যাই। দুদিনৰ ভাগৰে যেন এতিয়াহে হেঁচি ধৰিছে। সঁচাকৈ, যোৱা চাৰি বছৰে এইটো তাইৰ অভ্যাস হোৱাৰ দৰে হৈ গৈছে। আগতে য'তেই নাথাকক ঘৰত নিজৰ ৰুমৰ বিচনাখনত পৰিলে যিটো সকাহ পাই সেইটো আজিকালি হোষ্টেলৰ ৰুমটোৰ বিচনাখনত পায়। যেন গোটেই পৃথিৱী এফালে আৰু তাইৰ এই সৰু ৰুমটো এফালে। চকু দুটা মুদি দিলে তাই। টোপনি চিলমিলকৈ গৈছিলহে, ফোনটো বাজিল। কথা পাতিবলৈ মন নাথাকিলেও আনি দেখে, অভিমন্যুয়ে কৰিছে। মুখখন অলপ ফৰকাল হৈছিল তাইৰ। ৰিচিভ কৰাৰ লগে লগে সি গালিয়েই আৰম্ভ কৰি দিলে,

"তই ভাব কি তাৰমানে নিজক? ইমান এটা ডাঙৰ ঘটনা ঘটি গ'ল, আৰু মোক ক'ব লাগে বুলি নাভাবিলি? এৰা, এতিয়ানো মই কোন আৰু! গুছিয়েই আহিলো যেতিয়া।"

Kaushik

হয়, সন্ধ্যাই অভিমন্যুক কথাটো কোৱা নাছিল। আচলতে একেবাৰে নোকোৱাও নহয়। তাই প্ৰথম দিনাই ফোন কৰিছিল তালৈ কিন্তু ছুইচ অফ। তাৰ পাছত আৰু কৰা নহ'ল। কথাটো তাক কোৱাৰ লগে লগে সি ক'লে,

"চা, আমাৰ ইয়াত ক্লাছবোৰ বহুত দেৰি দেৰিলৈকে হয়। সাংঘাতিক বিজি ৰুটিন। সেইবাবে কেতিয়াবা ফোন অফ থাকিব পাৰে। বাট তই পাছততো কৰিব লাগে। তোৰ খবৰ এতিয়া পথীৰ পৰা ল'ব লাগিব নি?"

"নহয় অ' অভি। সেই দুদিন ইমান টেনশ্যনত আছিলোঁ যে---"

সন্ধ্যাক শেষ কৰিব নিদি অভিমন্যুয়ে ক'লে,

"জানো জানো মইও জানো। লগত স্পেচিয়েল মানুহ থাকিলে মোলে ক'ত মনত পৰিব?"

"হ'ব আৰু হা। তোৰ নিজৰো দেখোন মানুহজনীলৈ সময় ঠিকেই ওলাই, মোলে হে নোলায়।"

"তাৰ মানে তই কি বুজালি? যেনেকে পথী মোৰ মানুহজনী, তেনেকে অনুৰণ তোৰ--"

"একদম মাৰ খাবি দেই অভি। বেছি ফটুৰামি নকৰ।"

"লাজটো চোৱা"

"তই এই কামোৰ দিবলৈকে ফোন মাৰিছ মানে?"

"নাই মাৰা। গালি পাৰিবলৈহে মাৰিছোঁ। বাকী মাৰ খবৰ ক।"

"মাৰ ভালেই। কাইলৈ মানে ৰিলিজ দিব চাগে।"

অলপ সময় কথা পাতি ফোনটো থ'লে অভিমন্যুয়ে। ইয়াৰ লগত কথা পতাৰ পাছতে বহু সময়লৈ বুকুখন গধূৰ হৈ থাকে সন্ধ্যাৰ। সেই খালী খালী ভাৱটোৱে যেন ঘেৰি ধৰে আকৌ। বিচনাত বাগৰি আকৌ টোপনিৰ কোলাত সোমাল তাই।

দিন বাগৰিল। সন্ধ্যাৰ মাক এতিয়া বহুখিনি সুস্থ। তাই মাজতে ঘৰত থাকিও আহিলগৈ কেইদিন মান। ডিপাৰ্টমেণ্টত যিয়েই দেখিছে সিয়েই তাইক মাত দি মাকৰ

Kaushik

খবৰ লৈছে। সেই গুৱাহাটীৰ পৰা অহাৰ দিনা সন্ধিয়াই জুৰি আৰু অনুৰাধা তাইৰ ৰুমলৈ আহিছিল। জুৰিয়ে অলপ অভিমানো কৰিছিল,

"তই আমাকতো ক'ব পাৰ। অনুৰণৰ পৰাহে গম পাইছোঁ কথাবোৰ।"

"নহয় অ' জুৰি, কথাবোৰ গম পাই মোৰ অৱস্থায়ে কিবা হৈ গৈছিল।"

সন্ধ্যাই বুজাইছিল তাইক। বেচেৰী জুৰি, তাইক বৰ মৰম কৰে কাৰণেই অলপতে সৰু ছোৱালীৰ দৰে অভিমান কৰে বুলি ভাবি হাঁহি উঠিছিল সন্ধ্যাৰ। এৰা, মানুহৰ মুখত মনৰ ভাৱবোৰ প্ৰকাশ হোৱা হ'লে কোনেও দুখ পাবলগীয়া নহ'লেইহেঁতেন।

সময়ৰ লগে লগে ক্লাছবোৰো আগবাঢ়িছিল। আজিকালি গোটেই দিনটো ক্লাছৰ লগতে আবেলিও ক্লাছ থাকে সন্ধ্যাহঁতৰ। টোপনিৰ বিসৰ্জন দি হ'লেও আহিবলৈ বাধ্য সকলো।

সেইদিনা আছিল শুক্ৰবাৰ। শুক্ৰবাৰে আবেলি ক্লাছ নাথাকে। তাতে শেষৰ ক্লাছটো শান্তিপ্ৰিয়া মেমে সোনকালে এৰিলে। ক্লাছৰুমৰ পৰা চব এটা এটাকৈ ওলাই গৈছিল। সেইদিনা ময়ূৰ যোৱা নাছিল। অনুৰণ আৰু সন্ধ্যা একেলগে বহিছিল শেষৰ বেঞ্চত। ওলাই আহোঁতেই কথা পাতি পাতি একেলগে চাইকেল ষ্টেণ্ড পাইছিলহি সিহঁত।

চাইকেলখন উলিয়াই অনুৰণে সুধিলে,

"ৰুমলৈকে যাবা নে?"

"এবাৰ বাহিৰলৈ হে যাম। বস্তু এটা কিনিব আছে।"

চাইকেলত বহি অনুৰণে ক'লে,

"বহা।"

"তুমি গৈ থাকা নহ'লে।"

"নালাগে, বহা।"

অনুৰণৰ এই সৰু সৰু কৰ্তৃত্ববোৰ ভাল লাগে সন্ধ্যাৰ। ভালপোৱাত জেদ নাথাকে সঁচা, কিন্তু এই আব্দাৰ আৰু কৰ্তৃত্ববোৰেই সময়বোৰ মধুৰ কৰি তোলে। লাহে লাহে সন্ধ্যাৰো বিশ্বাস হ'ব ধৰিছে, হয়তো অনুৰণেও তাইক ভাল পায়।

"অনুৰণ, শুনচোন"

Kaushik

সন্ধ্যা চাইকেলত বহিবলৈ লওঁতেই পিছফালৰ পৰা জুৰিয়ে মাত দিলে। সন্ধ্যাহঁতে ঘূৰি চাই দেখে অনুৰাধা আৰু জুৰি আহি আছে। সিহঁতৰ ওচৰ পাই জুৰিয়ে ক'লে,

"অনুৰণ, এই অনুৰাধাৰ গাটো ভাল নহয়। মূৰ ঘূৰাই আছে। তই চাইকেলতে লৈ যা না, হোষ্টেলত নমাই দিবি। মই আকৌ আজি চাইকেল ননাকৈয়ে আহিলোঁ।"

সন্ধ্যাই অনুৰণৰ মুখলৈ চাইছিল। অনুৰণে কওঁ নকওঁকৈ ক'লে,

"মই সন্ধ্যাক নিবলৈ---"

লগে লগে জুৰিয়ে মুখতে ধৰিলে,

"সন্ধ্যা কিবা সৰু ছোৱালী নেকি? তাইয়ে মইয়ে খোজকাঢ়িয়ে যাম। তই অনুৰাধাক লৈ যা।"

অনুৰাধা আগবাঢ়ি গৈছিল চাইকেলখনৰ ওচৰলৈ। তেনেকুৱা অনুৰণে ক'লে,

"এটা কাম কৰ জুৰি, তই মোৰ চাইকেলখন লৈ যা। অনুৰাধাকো লৈ যা চাইকেলতে। তহঁতৰ হোষ্টেলতে থৈ দিবি, মই ইভনিং লৈ ল'ম।"

জুৰি আৰু অনুৰাধাই ইজনীয়ে সিজনীৰ ফালে চাই থেৰোঁ গেৰোঁ কৰিবলৈ ধৰিলে। অনুৰণে চাইকেলখন জুৰিৰ ফালে আগবঢ়াই দি ক'লে,

"যা আকৌ। অনুৰাধাৰ গাও বেয়া। মই আৰু সন্ধ্যা খোজকাঢ়িয়ে যাম।"

উপায় নাপাই জুৰি চাইকেলত উঠিল। অনুৰাধাও পিছৰ ছিটত বহিল। "যাওঁ" বুলি কৈ জুৰিয়ে চাইকেলৰ পেডেল মাৰিলে। সিহঁত আগুৱাই যোৱাৰ পাছত সন্ধ্যা আৰু অনুৰণ বাহিৰৰ ফালে আগবাঢ়িল।

"তাইক লৈ যোৱা হ'লেনো কি হয়?" সন্ধ্যাই মাজতে ক'লে।

"জুৰিয়ে নিলেতো।" অনুৰণে ভাৱহীন ভাৱেৰে কৈছিল।

"তাই কিজানি তোমাৰ লগত যাব খুজিছিল।"

"হ'ব আৰু, এনেই এইচব এনালাইচিছ কৰিব নালাগে তুমি।"

অনুৰণৰ কথাত মুখ টিপি হাঁহিলে সন্ধ্যাই। এই যে ল'ৰাটো, ইমান বেছি লাজকুৰীয়া কিয় তাই বুজি নাপায়।

Kaushik

বাহিৰৰ পৰা বস্তুকেইটা লৈ সন্ধ্যাহঁত বয়জ হোষ্টেলৰ বিপৰীত ফালৰ ৰাস্তাটোৰে লাইব্ৰেৰীৰ কাষেৰে আহি আছিল। এইফালে আহিলে গাৰ্লচ হোষ্টেল আগতে পায়। সেইকেইখন পাৰ হৈয়ে Essentialৰ চাৰিআলিটো পাব। তাৰ সোঁফালে গ'লেই বয়জ হোষ্টেলবোৰ। মেইন গেটৰ পৰা সোমাই ফাউণ্টেইনটোৰ সমুখ পাওঁতেই সন্ধ্যাই অনুৰণক কৈছিল,

"যোৱা, সেইফালেহে তোমাৰ হোষ্টেল।"

"মোৰ Essemtialত কাম আছে।" সি লগে লগে ক'লে।

"কি কাম অ'?"

"পইছা উলিয়াব লাগে এটিএমৰ পৰা।"

সন্ধ্যাৰ হাঁহি উঠিছিল অনুৰণৰ উত্তৰত। তাইও জানে যে অনুৰণে এনেই কৈছে। হয়তো সন্ধ্যাৰ লগত কিছু সময় কটোৱাৰ বাহানা এইবোৰ। ভালপোৱাত যে প্ৰিয়জনৰ লগত সময় কিদৰে পাৰ হয় হিচাপেই নাথাকে। লাইব্ৰেৰী পাৰ হওঁতেই হঠাৎ বৰষুণ আহিল। প্ৰথমে কিনকিনকৈ আহিছিল যদিও লাহে লাহে বাঢ়িল। ৰাস্তাৰে খোজকাঢ়ি গৈ থকাবোৰে নিজৰ গতিবেগ বঢ়াই দিলে। ৰাতিপুৱাৰে পৰা বতৰটো অলপ ডাৱৰীয়া আছিল যদিও এনেকৈ ঘপকৈ বৰষুণ আহিব বুলি ভবা নাছিল সন্ধ্যাই। এই তেজপুৰৰ বৰষুণজাক সঁচাই আপদীয়া। কোনো জাননী নিদিয়াকৈ আহে।

"ছেঃ, এইজাক এতিয়াহে আহিব পালে নে? দুই মিনিট ৰৈ দিয়া হ'লেই ৰুমটো পাওঁগৈ।"

অনুৰণে ভোৰভোৰাই উঠিল। সন্ধ্যাৰ হাঁহি উঠিছিল। তাই জানে অনুৰণে বৰষুণত তিতি সাংঘাতিক বেয়া পায়। তাক অলপ জোকাবলৈকে সন্ধ্যাই ক'লে,

"ভাল হৈছে। চাইকেলখনো আকৌ বেলেগক দি দিছে। অনুৰাধাৰ লগত গুছি যোৱা হ'লেতো তিতিবলগীয়া নহয়েই। মোৰ লগত থাকিলেতো বৰষুণ তিতিবই লাগিব।"

"সঁচাকৈ, তুমি কিবা খা খবৰ দি দিয়া নেকি বাৰু বৰষুণটোক?"

"অঁ দিওঁ। বৰষুণৰ ফোন নম্বৰটো মোৰ লগত আছে যে, চিধা ফোন মাৰি দিওঁ। বৰষুণ দা বৰষুণ দা, অনুৰণ হাজৰিকা মোৰ লগত আছে। প্লিজ আহি যাওঁক না।"

একে উশাহে সন্ধ্যাই কথাটো কোৱাৰ সুৰ দেখি হাঁহি উঠিল অনুৰণৰ। সশব্দে হাঁহি সি ক'লে,

"তুমি ষ্টেণ্ড আপ কমেডিয়ান হ'ব পাৰিবা কিন্তু।"

"হ'ব হ'ব। বেলেগ ল'ৰা হোৱা হ'লে ইমান ধুনীয়া বৰষুণজাকত কিবা ৰোমান্টিক কথা ক'লেহেঁতেন। এখেতৰ অকল মোক ঠাট্টা কৰোঁতেই যাব।"

ওলাই আহিব খোজা হাঁহিটো জোৰকৈ সামৰি অনুৰণে ক'লে,

"মইও ক'লোহেঁতেন লগত বেলেগ ছোৱালী থকা হয়। তোমাৰ লগত আৰু কি ৰোমান্টিক হ'ম?"

"হৈছে আৰু। মোৰো তোমাৰ লগত ৰোমান্স কৰিবলৈ গৰজহে পৰিছে।" কথাটো কৈ সন্ধ্যা অনুৰণতকৈ দুখোজ আগুৱাই গ'ল। মুখখন ফুলি উঠিছিল তাইৰ অভিমানত। বৰষুণে তিয়াই পেলাইছিল তাইৰ গাটো। কপালখন ঢাকি পেলাইছিল লিপিট খাই পৰা চুলি কেইডালে। ওঁঠযোৰ বৰষুণৰ পানীৰ পৰশত ভিজি উঠিছিল। সন্ধ্যা আগবাঢ়ি যোৱাত অনুৰণ খৰ খোজেৰে তাইৰ পিছে পিছে আহিল,

"আৰে ৰ'বা ৰ'বা। ধেমালি কৰিছোঁ অ'। মই তোমাৰ বাহিৰে বেলেগৰ লগত কথা পাতোঁ নেকি কিবা।"

সন্ধ্যাইও মিচিকিয়াইছিল। অনুৰণৰ টি চার্টটো তিতি গাত লিপিট খাই পৰিছে। জিলিকি পৰিছিল তাৰ বহল বুকুখন, বাহুদুটা। প্ৰথম বাৰ অনুৰণক এইদৰে দেখি সন্ধ্যাই যেন এক শিহৰণ অনুভৱ কৰিছিল নিজৰ মাজতে। আগতে কেতিয়াও নোহোৱা এক নতুন অনুভৱ। প্ৰিয়জনৰ লগত নিবিড়তাৰ বাসনাৰেই হয়তো প্ৰথম শিহৰণ এইয়া। অনুৰণৰো এনেকুৱা হৈছে নে! ধৰা পৰাৰ ভয়ত সন্ধ্যাই অনুৰণলৈ চোৱা নাছিল।

"ঐ, লাইন এটা মনলৈ আহিছে। একদম ৰোমান্টিক। শুনিবা নি?"

অনুৰণৰ কথাত হাঁহি উঠিল সন্ধ্যাৰ। হাঁহি হাঁহিয়ে ক'লে,

"কি কোৱা? কম সৌভাগ্য নে এইয়া মোৰ? শুনোৱা শুনোৱা।"

বৰষুণৰ চেৰচেৰ শব্দতে অনুৰণে সন্ধ্যাৰ ওচৰলৈ আহি ক'লে,

"এবাৰ তুমি বৰষুণ হৈতো চোৱা"

Kaushik

"ৱাহ ৱাহ, ৱাহ ৱাহ" সন্ধ্যাই হাতেৰে তালি বজোৱাৰ দৰে কৰিছিল। অনুৰণে আকৌ ক'লে,

"এবাৰ তুমি বৰষুণ হৈতো চোৱা, গোটেই জীৱন ৰেইন কোট হৈ নাথাকোঁ যদি ক'বা।"

গৈ থকাৰ মাজতে ৰৈ দিলে সন্ধ্যাই। এবাৰ অনুৰণৰ মুখলৈ চাই "হাঃ হাঃ" কৈ সশব্দে হাঁহিত ফাটি পৰিল তাই। লগে লগে অনুৰণেও যোগ দিলে হাঁহিত। উশাহ যেন ঘূৰিয়ে নাহিব। হাঁহি হাঁহি সন্ধ্যাই কৈছিল,

"কিয় এনেকুৱা মানে তুমি? প্লিজ এইবোৰ বেলেগ ছোৱালীৰ আগত নক'বা। প্ৰেমৰ ওপৰত বিশ্বাসেই উঠি যাব।"

"উপায় নাই আৰু, মই ৰোমান্টিক কথা ক'বলৈ গ'লে এনেকুৱাই ওলাব।" অনুৰণেও হাঁহি হাঁহি কৈছিল।

কথা পাতি পাতি সোৱণশিৰী পালেহি সিহঁত। তেতিয়ালৈকে সম্পূৰ্ণ গা ধোৱাৰ দৰে তিতি গৈছিল অনুৰণ আৰু সন্ধ্যা।

"যোৱা" বুলি সন্ধ্যাক কৈ অনুৰণ আগবাঢ়িব লওঁতেই সন্ধ্যাই পিছফালৰ পৰা মাতিলে,

"ঐ, এইটো লৈ যোৱা।"

অনুৰণ ঘূৰি চাই আচৰিত হ'ল। কাৰণ সন্ধ্যাই তালৈ আগবঢ়াই দিছে ছাতি এটা।

"তোমাৰ লগত ছাতি আছিল?"

সন্ধ্যাই দুষ্টালিৰ হাঁহিৰে ক'লে,

"অঁ, আছিল আকৌ।"

"ছিৰিয়াছলি? তেন্তে তিতিলা কিয়?"

"ছাতিটো মেলি লোৱাহেঁতেন ইমান ধুনীয়া বৰষুণজাক মিছ নহ'লহেঁতেন নে?"

"আচৰিত ছোৱালী তুমি। নালাগে এতিয়া ছাতি। এনেও তিতি শেষ।"

কথাটো কৈ অনুৰণ যাবলৈ লওঁতেই সন্ধ্যাই আগবাঢ়ি গৈ ছাতিটো মেলি জোৰকৈ তাৰ হাতত দি দিলে,

Kaushik

"কথা ক'লে শুনিবা। একদম চুপ চাপ ছাতি লোৱা। অলপ তিতিলা হ'ল আৰু। বেছি সময় তিতি আকৌ বেমাৰ কৰিব নালাগে।"

ছাতিটো দি তাই উভতি আহিছিল। সোৱণশিৰীৰ গেটখন পাওঁতেই অনুৰণে চিঞৰিলে,

"ঐ ছোৱালী, ইমান দম দিয়া যে আজিকালি?"

"কাৰোবাক দম দিওঁ ভাল লাগে অ' ল'ৰা। তুমি নুবুজিবা।"

সন্ধ্যাইও চিঞৰ মাৰি কথাটো কৈ হোষ্টেলৰ ভিতৰলৈ সোমাই গ'ল। মুখত হাঁহি এটা লগাই অনুৰণো আগবাঢ়িছিল পাটকাইৰ ফালে। কিছু দূৰ গৈয়ে আপোনা আপুনি ছাতিটো আঁতৰাই দিলে অনুৰণে। বৰষুণ জাকৰ মাজত যেন সি এৰি দিছে নিজক। ভালপোৱা নামৰ বৰষুণজাকত তিতি কেতিয়াবাই জুৰুলি জুপুৰি হ'ল সি। সন্ধ্যাই দিয়া ছাতিটো জঁপাই জোৰেৰে বুকুত সাৱটি লৈছিল অনুৰণে।

Kaushik

"সন্ধ্যা, তোৰ লগত কথা এটা আছিল।"

সোমবাৰে অফ ক্লাছত কেন্টিনৰ পৰা কফি কাপ লৈ বেলকণিত ৰৈ আছিল সন্ধ্যা। তেনেকুৱাতে জুৰি আহি মাত দিলেহি। সন্ধ্যাই তাইলৈ চাই ক'লে,

"অঁ জুৰি, কচোন। কি কথা?"

"সঁচা কথা ক সন্ধ্যা, তই কি অনুৰণক ভাল পাঁৱ?"

বুকুখন চিৰিংকৈ গৈছিল সন্ধ্যাৰ। কি সুধিছে জুৰিয়ে এইবোৰ! অনুৰণ আৰু তাইৰ কথা সিহঁতৰ বাহিৰেতো আন কোনোৱে নাজানে। আৰু জানিবলগীয়া আছেনো কি! না আজিলৈ অনুৰণে কিবা কৈছে না সন্ধ্যাই। হয়তো কিছুমান সম্পৰ্কৰ নাম নাথাকে, থাকে মাথোঁ এক অব্যক্ত কাহিনী।

"কিবা এটা সুধিছোঁ সন্ধ্যা।" জুৰিয়ে আকৌ সুধিলে। সন্ধ্যাই কফিৰ কাপটো বেলকণিৰ ৱালখনত থৈ ক'লে,

"এইবোৰ কি সুধিছ তই? অনুৰণ আৰু মই--"

জুৰিয়ে তাইক ক'বলৈ নিদি ক'লে,

"সুধিবলৈ বাধ্য হৈছোঁ। অভিমন্যু যোৱাৰ পাছত অনুৰণৰ পিছ নেৰাই হ'লি যে তই? গুৱাহাটীলৈ যাবলেও অনুৰণ, ক্লাছৰ পৰা হোষ্টেল যাবলেও অনুৰণ। তোৰ এইবোৰ কামে যে আন কাৰোবাক আঘাত দিছে জান নে?"

জুৰি প্রতিটো কথাত যেন হতচকিত হৈ পৰিছে সন্ধ্যা,

"আন কাৰোবাক? কাক জুৰি?"

"অনুৰাধাক।"

আচৰিত হৈ গৈছিল সন্ধ্যা। তাই অনুৰণৰ কাষত থকা কথাটোত অনুৰাধাই আঘাত পাইছে! তাই কথাটো বুজা নাই বুলি অনুমান কৰিয়েই জুৰিয়ে আকৌ ক'লে,

"অঁ, অনুৰাধাই অনুৰণক ভাল পায়। আগৰ পৰাই। কিন্তু তই বাৰে বাৰে তাৰ লগত লাগি ফুৰিলে তাইৰ কেনেকুৱা লাগিব কচোন।"

কি উত্তৰ দিব ভাবি পোৱা নাই সন্ধ্যাই। কওঁ নকওঁকৈ তাই মাত্র সুধিলে,

"আৰু অনুৰণে?"

"অনুৰণেও ভাল পায়। কিন্তু তাকতো জানই কাকো না ক'ব নোৱাৰে। গতিকে তোৰ লগত---"

কথাটো আধা কোৱাকৈ ৰৈ গ'ল জুৰি। কাৰণ কেন্টিনৰ পৰা কফি একাপ লৈ সিহঁতৰ ফালেই আহি আছে অনুৰণ। সিহঁতৰ কথা শুনা নাছিল যদিও সি আহি থকা দেখি জুৰি ৰৈ গ'ল।

"মই যাওঁ দে। কথাটো কোৱাৰ বাবে বেয়া নাপাবি। কোনোবাই তোলৈ আঙুলি টোঁৱালে মোৰো বেয়া লাগিব। সেইবাবেহে ক'লো। সাৱধান হ'বি।"

কথাখিনি থৰকৈ কৈ জুৰি ওলাই গ'ল তাৰ পৰা। প্রস্তৰ মূৰ্তিৰ দৰে ৰৈ আছিল সন্ধ্যা। অনুৰণে অনুৰাধাক ভাল পাই, নাই হ'বই নোৱাৰে। মিছা কথা এইবোৰ। সি তাইক গুৱাহাটীলৈকে নিয়া, সেইদিনা তাইক "নক'লেও তুমি নুবুজাকৈ নাথাকিবা" বুলি কোৱা, প্রতিটো মূহুৰ্তত তাইক আৱৰি ৰখা এইবোৰে কি বুজাই! নাই, তাই অনুৰণক সুধিব। স্পষ্ট কৰিব তাই অনুৰণৰ পৰাই। তাই জানে, অনুৰণে ওলোটাই তাইক গালিহে পাৰিব "সুধিবলৈ কথা পোৱা নাই নেকি" বুলি। যিটো ল'ৰাই তাইৰ বাহিৰে বেলেগৰ লগত কথাই নাপাতে, সি মনে মনে তাইৰ পৰা লুকুৱাই আন কাৰোবাক ভাল পাব এইটো

Kaushik

সম্ভৱেই নহয়। মাত্র এবাৰ অনুৰণে কওঁক যে এইবোৰ মিছা। তাৰ পাছত গোটেই পৃথিৱীয়ে ক'লেও সন্ধ্যাই কাকো বিশ্বাস নকৰে।

"ঐ টিকলি। কফি কাপ তাত থৈ এনেকৈ বৈ আছা যে?"

অনুৰণ আহি সন্ধ্যাৰ ওচৰ পালেহি। লগে লগেই তাই ক'লে,

"অনুৰণ, কথা এটা আছিল।"

"কোৱা আকৌ।"

মাতটো কঁপিছিল সন্ধ্যাৰ কথাটো সোধোতে,

"অনুৰাধা আৰু তোমাৰ কথা এটা শুনিলোঁ। সঁচা নেকি?"

সন্ধ্যাৰ সম্পূৰ্ণ বিশ্বাস আছিল; এই মূহুৰ্ততে তাইক ধমকি মাৰি আহিব অনুৰণে। কিন্তু তাইৰ বিশ্বাসৰ বালিঘৰ ভৰিৰে মোহাৰি অনুৰণে ক'লে,

"তুমি গম নোপোৱাই নেকি?"

ভৰিৰ পৰা মূৰলৈকে কঁপি গৈছিল সন্ধ্যা। অনুৰণে ধেমালি কৰা নাইতো? কিন্তু তাৰ সুৰটোতো ধেমালিৰ সুৰ নহয়। তথাপি তাই সুধিলে,

"মই ছিৰিয়াছলি সুধিছোঁ ৰণ। ধেমালি নকৰিবা।"

অনুৰণে সম্পূৰ্ণ স্বাভাৱিক সুৰত ক'লে,

"ইয়াত ধেমালি কৰিবলৈ কি আছে, কথাটো বহুতেই জানে ক্লাছৰ। সুধি চোৱা লাগিলে।"

পৃথিৱীৰ আটাইতকৈ অসহ্যকৰ যন্ত্ৰণা, যেতিয়া প্ৰত্যাশাই কৰে প্ৰতাৰণা। অনুৰণৰ কথাত থৰ হৈ বৈ গ'ল সন্ধ্যা। চকুৰ পলক জপাবলৈও পাহৰি গৈছে।

"বৰষুণ আহিব হ'বলা।" অনুৰণে আকাশলৈ চাই ক'লে।

আকাশত দুপৰৰ বেলিটো ঢাকিছিল এচপৰা ক'লা ডাৱৰে।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 107

আচৰিত নহয়নে, দুখ সদায় তেওঁলোকৰ পৰাই পোৱা যায় যাৰ সুখৰ কাৰণে আমি সকলো কৰিবলৈ প্ৰস্তুত। অভিযোগ অজস্ৰ থাকে বুকুত, কিন্তু পঠোৱাৰ ঠিকনা পোৱা যায় জানো! আৰু পৰৰ ওচৰত অভিযোগ লৈ গৈ কি লাভ, কষ্ট সদায় আপোনবোৰেহে দিয়ে। অনুৰণৰ ক্ষেত্ৰতো যেন একেই হৈছিল সন্ধ্যাৰ। এক মূহুৰ্তত যেন ৰৈ গৈছিল পৃথিৱী। নাই, তাই বাৰু কিবা ভুলহে শুনিছে নেকি! নে অনুৰণে ধেমালি কৰিছে! শেষ বাৰৰ বাবে সন্ধ্যাই আকৌ সুধিলে,

"তুমি সঁচাই কৈছা ৰণ?"

অনুৰণে এইবাৰ হাঁহি উঠিল। তাৰ এই হাঁহিত আগৰ দৰে ভাল লগা কিবা নাছিল। তাৰ সলনি বুকুখন কঁপিছিল সন্ধ্যাৰ। হাঁহিও জানো ইমান ভয়ংকৰ হয়! নাই, অনুৰণে জোৰকৈ হঁহা নাছিল। তথাপিও সন্ধ্যাৰ অনুভৱ হৈছে সি যেন অট্টহাস্য কৰিছে। থৰ হৈ তাৰ ফালে চাই থকা সন্ধ্যাক সি ক'লে,

"ইমান কনফাৰ্ম কৰিবলৈ কি আছে সন্ধ্যা?"

এৰা, ঠিকেই কৈছে সি। এনেকৈ তাক জেৰা কৰিবলৈ তাইৰ কি অধিকাৰ আছে! কি নাম সিহঁতৰ সম্পৰ্কৰ! কিন্তু পৃথিৱীৰ সকলো বস্তু পাৰিলেও অনুভৱবোৰক জানো নাম নাইবা সংজ্ঞাৰে জুখিব পাৰি! পাৰি জানো মৰমৰ অভিধা দিব! অনুৰণেইতো কৈছিল নক'লেও বুজিব লাগে, তেন্তে? সি কি নিজেও একো বুজা নাছিল!

"কি হ'ল, এতিয়াও বিশ্বাস হোৱা নাই? আমাক মানে অনুৰাধা আৰু মোক দেখিলে তেনেকুৱা নালাগে ন? আমি এনেকুৱাই আৰু।"

অনুৰণৰ প্ৰতিটো কথাই যেন বেজী হৈ খুঁচিছে সন্ধ্যাক। মন গৈছে, চিঞৰি চিঞৰি কান্দিবলৈ মন গৈছে তাইৰ। কিন্তু নোৱাৰে। একো নকৈ মনে মনে থাকিলে বেয়া দেখি বাবেই তাই ক'লে,

"অঁ, মই আগতে জনা নাছিলোঁ। আজি জুৰিয়ে কওঁতেহে---"

"অনুৰণ, মোৰ জেৰক্সটো তোমাৰ তাতে আছে ন?"

কোন সময়ত অনুৰাধা আহি ওচৰ পালেহি সিহঁতে ক'ব নোৱাৰিলে।

Kaushik

"অঁ, মোৰ তাতে আছে। ব'লা দি আছোঁ।"

অনুৰণে ক'লে। সিহঁত আগবাঢ়িল। সন্ধ্যা বৈ গ'ল বেলকণিতেই অকলে। কি হৈছে এইবোৰ তাইৰ চাৰিওফালে, অনুৰণে অনুৰাধাক!! নাই নাই, কেনেবাকৈ সাৰ পাই যোৱা হ'লে। সেই অভিমন্যু অহাৰ যে সপোনটো দেখিছিল, তেনেকুৱা কিবা হোৱা হ'লে। তাই যে মানিয়ে ল'ব পৰা নাই অনুৰণে এনেকৈ এই কথাটো তাইৰ পৰা লুকুৱাব বুলি। তাই ইমান পৰ হৈ গ'ল নে তাৰ বাবে!

"ঐ, সন্ধ্যা। কি খবৰ?"

হঠাৎ কাৰোবাৰ চিঞৰত বাস্তৱলৈ ঘূৰি আহিল সন্ধ্যা। সমুখত ছোৱালী এজনী, হাতত কফি একাপ লৈ। শেঁতা হাঁহি এটাৰে সন্ধ্যাই মাত দিলে,

"কাজল দেখোন, কি খবৰ? আকৌ আহিলা নেকি?"

কাজল, মানে কাজল বৈশ্য। জুৰিহঁতৰ প্ৰাগজ্যোতিকাৰে ছোৱালী। এবাৰ প্ৰিফেক্টো আছিল। সন্ধ্যাৰ লগত আগৰ পৰাই ভাল। প্ৰাণচঞ্চলা হাঁহিৰ ছোৱালীজনীক বৰ ভাল লাগে সন্ধ্যাৰ। গুৱাহাটীৰ ছোৱালীজনী ইয়াত বিএড কৰিছিল। এইবাৰ বিএড কম্প্লিট হৈছিলহে তাইৰ। গতিকে আকৌ ডিপাৰ্টমেণ্টত দেখি আচৰিত হৈয়ে সন্ধ্যাই সুধিলে কথাটো। উত্তৰত হাঁহি মাৰি ক'লে কাজলে,

"মই আকৌ ইয়াতে ছিট পালোঁ। এম এ এডুকেশ্যনত।"

"বঢ়িয়া। কংগ্ৰেটছ। কেনেকুৱা লাগিছে নতুন ক্লাছমেটছ?" সন্ধ্যাই এনেয়ে সুধিলে।

"ভালেই আৰু। চব ছোৱালীয়েই। ল'ৰা এটা, তাকো আফ্ৰিকাৰ।"

"ভালহে, চিনাকি হৈ লোৱা ভালকৈ। আফ্ৰিকা ফুৰি আহিব পাৰিবা।"

সন্ধ্যাৰ কথাত সশব্দে হাঁহি উঠিল কাজলে। লগতে সন্ধ্যাইও।

"ঠিকে আছে সন্ধ্যা। মই যাওঁ দিয়া।"

কাজল গুছি গ'ল এডুকেশ্যনৰ ফালে।

ৱাহ, নিজৰ ওপৰতে গৰ্ব হ'ল সন্ধ্যাৰ। এসোপামান কাকো ক'ব নোৱাৰা কষ্টই বুকুখন থেকেচি থকাৰ পাছতো কি সুন্দৰকৈ তাই হাঁহি হাঁহি অভিনয় কৰিলে কাজলৰ আগত।

Kaushik

কাজলেতো অলপো ধৰিব নোৱাৰিলে। এৰা, সময়তকৈ ডাঙৰ শিক্ষক আৰু কোনো নাই। বুকুত বেদনাৰ পাহাৰ লৈও মুখত হাঁহিৰ আকাৰ সাজিবলৈ এই সময়েই শিকায়।

আজি আৰু সন্ধ্যাৰ ক্লাছ কৰাৰ অলপো ইচ্ছা নাই। নাই শক্তিও। সকলোৰে আগত হাঁহি মাতি থাকি অসম্ভৱ ভাগৰ লাগিছে তাইৰ। সঁচাই, দিনে ৰাতিয়ে বিহু নাচৰ প্ৰেকটিছ কৰিও যিজনী ছোৱালী ভাগৰা নাছিল ; আজি তাইক ভাগৰাই দিছে মাত্ৰ এটা কথায়েই। ক্লাছৰ মাজত আঁৰ চকুৰে সন্ধ্যাই অনুৰণলৈ চাইছিল। নিজৰ মাজতে ব্যস্ত সি। মুখত নাই কোনো ভাৱলেশ। এৰা, নাথাকিবওতো। অতদিন তাই মূৰ্খৰ দৰে ভাবি আছিল তাৰ কথা। সিতো তাইক ভাল বান্ধৱীৰ দৰেই ভাবে। তাৰ বাবে কৰিব লগাখিনি কৰিছেও। কিন্তু সন্ধ্যাইহে তাক প্ৰেমৰ নাম দি পেলালে। তাই আকৌ এবাৰ ভুল কৰিলে। প্ৰথম বাৰ তাই নিজক বুজি নাপাই ভুল কৰিছিল আৰু এইবাৰ তাই অনুৰণক বুজি নাপালে। ছিঃ, কিবা ঘিণ লাগি গ'ল নিজলৈকে। তাই ইমান এলাগীনে! পৃথিৱীৰ আটাইতকৈ অকলশৰীয়া মানুহ যেন তাই, তেনে অনুভৱ হৈছিল।

গোটেই ক্লাছটোত কি পঢ়ালে একো বুজি নাপালে সন্ধ্যাই। ক্লাছবোৰৰ শেষত সকলো যাবলৈ ওলাল। হুলস্থুলৰ মাজতে ওলাই গৈ থাকোঁতে সন্ধ্যাই কৰিডৰটোতে অনুৰাধাক লগ পাই ক'লে,

"অনুৰাধা, তুমি চাগে মোক বেয়া পাই আছা ন?"

"মই, নাইতো। কিয় সন্ধ্যা?"

"আচলতে মই তোমাৰ আৰু অনুৰণৰ কথাটো জনা নাছিলোঁ। আজি জুৰিয়ে কওঁতেহে--। আই এম ছৰী। মই আৰু কেতিয়াও---"

সন্ধ্যাই তলমূৰ কৰি কোনোমতে কথা কেইটা কৈছিল। অনুৰাধাই তাই কৈ থাকোঁতে মাজতে কৈ উঠিল,

"হেই, কি কৈছা এইবোৰ সন্ধ্যা। মই জানো, অনুৰণ আৰু তুমি বহুত ভাল ফ্ৰেণ্ড। তোমালোকৰ ফ্ৰেণ্ডশ্বিপক বেলেগে যিয়ে নকওঁক মই অন্ততঃ সন্দেহ নকৰোঁ। তুমি এইবোৰ একো নাভাবিবা। আৰু অনুৰণেও এইবোৰ শুনিলে বেয়া পাব।"

এৰা, ঠিকেই কৈছে অনুৰাধাই। বন্ধু, এজন ভাল বন্ধু অনুৰণ তাইৰ বাবে। কিন্তু সন্ধ্যাই তাক কেৱল বন্ধু হিচাপে লৈছে জানো! আগৰ বাৰ অভিমন্যুৰ ক্ষেত্ৰত বাৰু সকলোৱে জোকোৱাৰ কাৰণে এক খেলিমেলিত অনুমানবোৰকে অনুভৱ বুলি ভুল

Kaushik

কৰিছিল। কিন্তু অনুৰণৰ ক্ষেত্ৰততো তেনে হোৱা নাই। কিয় অনুৰণৰ এটি স্পৰ্শত লাজুকী বনৰ দৰে জঁই পৰে চঞ্চল সন্ধ্যা, কিয় তাৰ কাষত থাকিলে পৃথিৱীৰ আটাইবোৰ ভাল লগা সুৰ বাজিবলৈ ধৰে। এইবোৰ জানো মিছা! এৰা, হয়তো অনুৰণে তাইক কেৱল বান্ধৱী বুলিয়ে লৈছে। কিন্তু তাই যে অনুৰণকে জীৱনৰ প্ৰথম ফাগুণ বুলি আদৰিছে।

"এইবোৰ ভাবি নাথাকিবা সন্ধ্যা। মই অলপো বেয়া পোৱা নাই তোমাক।"

অনুৰাধাক এটি হাঁহিৰে প্ৰত্যুত্তৰ দি সন্ধ্যা আগবাঢ়িছিল হোষ্টেলৰ ফালে।

সন্ধ্যা আঁতৰি যোৱাৰ পাছত বাথৰুমলৈ যোৱা জুৰিৰ ওচৰ পালেগৈ অনুৰাধা। জুৰি বাথৰুমৰ পৰা ওলাওঁতেই তাই জুৰিক ক'লে,

"তই কি ক'লি সন্ধ্যাক?"

"সেইটোৱে যে তই অনুৰণক ভাল পাঁৱ।"

"কি দৰকাৰ আছিল কচোন জুৰি? অনুৰণতো জাষ্ট ফ্ৰেণ্ডহে তাইৰ। তাকো তহঁতে মানে---"

অনুৰাধাৰ কথাটো শেষ নহওঁতে সিফালৰ বাথৰুমৰ পৰা ওলাই অহা সীমাই ক'লে,

"দৰকাৰ আছে অনুৰাধা। কাৰণ অনুৰণে বাৰু সন্ধ্যাক ভাল নাপাই বুলি জানো। কিন্তু সন্ধ্যাৰ যদি তাৰ প্ৰতি কিবা ফিলিংচ আহি যায়, তেন্তে?"

সীমাৰ লগতে ওলাই অহা প্ৰিয়াইও ক'লে,

"ঠিকেইতো, বেচেৰীৰ আকৌ হাৰ্টব্ৰেক হোৱাতকৈ কথাটো কৈ দিয়াই ভাল।"

অনুৰাধা মনে মনে থাকিল। হয়তো সিহঁতে কথাটো মিছাও কোৱা নাই। অনুৰণৰ দৰে এটা ল'ৰাৰ প্ৰতি যিকোনো ছোৱালীৰে মনত প্ৰেমৰ অনুভৱ অহাটো স্বাভাৱিক। কিন্তু সি যে অকল অনুৰাধাৰ সেইটোও সকলোৱে জনাটো উচিত।

"কি ভাবিছ অনুৰাধা? ফিল্ডত তইয়ে আছ এতিয়া। ছিক্স মৰাতহে জোৰ।"

জুৰিৰ কথাত হাঁহি উঠিল গোটেই কেইজনীয়ে খিলখিলাই। অনুৰাধাই গহীন হৈ ক'লে,

"অনুৰণৰ পাবলৈ মই ছিক্স মাৰিব নালাগে। তহঁতে ভবাৰ দৰেও এইবোৰ একো নহয়। অনুৰণ সন্ধ্যাৰ প্ৰতি আকৰ্ষিত হ'ব পাৰে। কিন্তু ভাল সি মোকেই পাব। পাব লাগিব।"

শেষৰ শব্দদুটাত মুখেৰে এটা বিশেষ হাঁহি সৰি পৰিছিল অনুৰাধাৰ। কথাত মচগুল হৈ থকা জুৰিহঁতৰ চকুত পৰা নাছিল সেই বিশেষ হাঁহিটো।

সন্ধ্যাৰ জীৱনৰ আটাইতকৈ প্ৰিয় গল্পটিৰ নামেই অনুৰণ। কিন্তু তাই, তাই চাগে অনুৰণে নপঢ়াকৈ এৰি দিয়া এটা এলাগী কবিতা। বিচনাত অলসভাৱে নিজৰ গাটো এৰি দি এই ভাৱবোৰকে মনত পাকঘূৰণি খোৱাই আছে সন্ধ্যাই। দুপৰীয়া ভাত খাবলৈও উঠি নগ'ল তাই। আজিকালি প্ৰিয়াইও নামাতেহি ভাত খাবলৈ। সন্ধ্যা অকলেই যায়। আজি কিবাচোন মনেই নগ'ল। এনেই অলসভাৱে বিচনাত পৰি থাকিয়েই ভাল লাগিছে তাইৰ। দিনটো ধৰি ৰখা চকুপানীবোৰ বৈ গৈছে গাৰুটোৰ বুকুলৈ। এই গাৰুটো বৰ আপোন তাইৰ। কত যে কাহিনীৰ নীৰৱ সাক্ষী সি। কাৰোবাৰ অশ্ৰুবোৰো নিজৰ বুকুত সামৰি ৰখা জানো সহজ কথা!

এসময়ত মোবাইলটো আনিলে সন্ধ্যাই। নাই, এই সময়ত কাৰো লগত কথা নাপাতিলে তাই বলিয়া হৈ যাব। কথা পাতিব পৰাকৈ এটাই নাম আছে। সেয়ে অভিমন্যুলৈ ফোন লগালে তাই। প্ৰথম বাৰ ৰিং হৈ হৈ কাটি গ'ল। আকৌ লগালে। সি কাটি দিছে। নাই, তাই এতিয়াই কথা পাতিব খোজে। আকৌ লগাইছে ফোন। এইবাৰ ফোন কটাৰ লগতে অভিমন্যুয়ে মেছেজো দিছে এটা,

"Class t asu, phone tu kati dile nubujo neki? Pasot patim. Bye"

মোবাইলটো দলিয়াই দিলে সন্ধ্যাই। বিচনাৰ চুকত সোমালগৈ। আকৌ বিচনাত উঠি মূৰটো গাৰুটোত গুজি দিলে তাই। চেঁপা কান্দোনৰ শব্দ এটা বাহিৰ হৈছিল। সন্ধ্যা সেইদৰেই পৰি ৰ'ল। লাহে লাহে বেলিটো নোহোৱা হৈছিল পশ্চিমত। এন্ধাৰ নামিছিল ধৰাৰ বুকুলৈ।

কিমান সময় তেনেকৈ পৰি আছে সন্ধ্যাই নিজেও নাজানে। যেতিয়ালৈ সাৰ পালে ৰুমটো সম্পূৰ্ণ আন্ধাৰ। নাই, তাইৰ কিবা লাইটটো জ্বলাবলৈও মন যোৱা নাই।

Kaushik

সময়বোৰ নাযায় নুপুৰাইৰ দৰে কিয় লাগিছে বাৰু। এবাৰ মোবাইলটো আনি চালে। কিজানি অনুৰণে মেচেজ দিছে, "কেনে লাগিল অথনি, মিছাকৈ হে কৈছিলোঁ।"

নাই, একো মেচেজ নাই তাৰ পৰা।

দিনত ভাত নোখোৱাৰ বাবে খুব দুৰ্বল লাগিল সন্ধ্যাৰ। বাহিৰলৈ যাবলৈও মন যোৱা নাই। তথাপি নিজকে জোৰ কৰি হ'লেও যাবলৈ সাজু হ'ল তাই। জীৱনটোক এনেকৈ বৈ যাবতো দিব নোৱাৰি। এটা দীঘল হুঁমুনিয়াহ পেলাই সন্ধ্যা ৰুমৰ পৰা ওলাল। বাথৰুমটোৰ আইনাৰ সমুখত বৈ নিজকে চালে তাই। অবিন্যস্ত চুলি, গালত চকুপানীৰ শুকান দাগ। এইজনী তাইয়ে নে! কিয় জানো নিজলৈ সাংঘাতিক ঘৃণা উপজিল সন্ধ্যাৰ। যেন আইনাখনেই ভাঙি পেলাব টুকুৰা টুকুৰ কৰি। কিন্তু নিজক সংযম কৰি মুখ ধুই ৰুমলৈ আহিল তাই। অলপ পাছত ওলাই গ'ল তাইৰ প্ৰিয় ঠাইটুকুৰালৈ ; কাঞ্চনজংঘাৰ পুলটো।

সদায়ৰ দৰে সন্ধিয়া ব্যস্ত ইউনিভাৰ্চিটী। প্ৰাণচঞ্চল কোলাহলৰ মাজতো নীৰৱ হৈ গৈ আছে সন্ধ্যা। এই পোহৰবোৰে, এই কোলাহলবোৰে আজি যেন তাইক দৈত্যৰ দৰে মুখ মেলি খেদি আহিছে। এসময়ত এইবোৰেই তাইক মোহাচন্ন কৰি ৰাখিছিল আৰু আজি এইবোৰেই যেন তাইৰ অৱস্থাটোক লৈ উপহাসৰ অট্টহাস্য কৰিছে। খৰকৈ খোজ লৈ তাই পুলটোৰ ওচৰ পালেগৈ। লাইটৰ পাতল পোহৰত সন্ধ্যাই কাষ চাপোতেহে দেখিলে পুলটোত কোনোবা বহি আছে ফিল্ডৰ ফালে মুখ কৰি। ঠাইখিনিত পোহৰটো কম বাবে সন্ধ্যা বহিবলৈয়ে লৈছিল। হঠাৎ বহি থকাজন চকুত পৰাত তাই আঁতৰি আহিল।

Kaushik

"বহা সন্ধ্যা।"

চিনাকি মাতটো শুনি সন্ধ্যাই উভতি চালে। পুলটোত বহি থকা ল'ৰাজনে উভতি চাওঁতেহে দেখিলে সেইটো ময়ূঁৰ। ওচৰতে বহিল সন্ধ্যা,

"তুমিহে, মই ধৰিবই পৰা নাছিলোঁ।"

সন্ধ্যালৈ নোচোৱাকৈয়ে ময়ূঁৰে ক'লে,

"এৰা, বহুত বস্তু এন্ধাৰত থাকি যায় বাবে আমি নোচোৱাকৈয়ে এৰি দিওঁ। এন্ধাৰ ফালি যোৱাৰ সাহস আৰু ইচ্ছা সকলোৰে নাথাকে।"

"তোমাৰ কথাবোৰ ইমান সাঁথৰৰ নিচিনা কিয় ময়ূঁৰ? বুজোঁ বুজোঁ কৰিও বুজি নাপাওঁ যে?"

"নুবুজা বস্তুবোৰ সময়ৰ ওপৰত এৰি দিয়া সন্ধ্যা। যদি তুমি বুজিব লগা বস্তু হয়, তেন্তে সময়ে বুজাবয়েই।"

সন্ধ্যাই আকৌ সুধিলে,

"সময় আৰু ভাগ্য, এই দুটা বস্তু একেই নেকি ময়ূঁৰ?"

"ওহোঁ নহয়। মই ভাবোঁ ভাগ্যত বিশ্বাস কৰা মানুহবোৰ দুৰ্বল হয় আৰু সময়ত বিশ্বাস কৰা সকল শক্তিশালী।"

অলপ সময় একো নোকোৱাকৈ বহি থাকিল সন্ধ্যা। ময়ূঁৰৰ কথাখিনিয়ে যেন ক'ব নোৱাৰাকৈ তাইৰ লগত মিলি গৈছিল। এই ল'ৰাটোৱে গম নোপোৱাকৈয়ে কেতিয়াবা বহুত ডাঙৰ কথা কৈ দিয়ে।

"কি হ'ল, আৰু একো নোসোধা?"

সন্ধ্যাই একো নোকোৱা দেখি ময়ূঁৰেই সুধিছিল। এটা গভীৰ হুঁমুনিয়াহ সৰাই সন্ধ্যাই সুধিলে,

"জীৱনটোত এই দুখ কষ্ট এইবোৰ কিয় আহে কোৱা। কেৱল হাঁহি, মৰম আৰু ভাল লগাবোৰেৰে সজাব নোৱাৰি নে জীৱনটোক?"

মিচিকিয়া হাঁহি এটা মাৰি ময়ূঁৰে ক'লে,

"এটা সৰু কাহিনী কওঁ শুনা। এবাৰ সুখে দুখক ক'লে, পৃথিৱীত তোমাৰ কি প্ৰয়োজন, মইয়ে চোন কৰোঁ শান্তিৰ আয়োজন। তেতিয়া দুখে কৈছিল, মোৰ প্ৰয়োজন উজাগৰী নিশাৰ কবিতা ৰচিবলে, মোৰ প্ৰয়োজন আপোন মানুহৰ মুখ চিনিবলে।"

ময়ূঁৰৰ কাহিনীটো শুনি উদাসী হাঁহি এটা নিগৰিছিল সন্ধ্যাৰ ওঁঠৰ ফাকেৰে। ময়ূঁৰে আকৌ ক'লে,

"এতিয়া বুজি পালাতো?"

"উমম"

"সময় সদায় একেদৰে নাযায় সন্ধ্যা। সময় পাৰ হ'বই। এই শাৰীটো মনত ৰাখিবা সদায়।"

"বুজিছোঁ।"

Kaushik

ময়ূঁৰ থিয় হ'ল এইবাৰ,

"ব'লা এতিয়া।"

"ক'ত যোৱা?" সন্ধ্যাই সুধিলে।

"মহামায়াৰ পৰা আহোঁগে ব'লা। বহুত দিন যোৱা নাই। বকুল দাই চাগে মুখ ফুলাই আছে।"

মহামায়াৰ নাম শুনি মনটো পোহৰ হৈছিল সন্ধ্যাৰ। তাই থিয় হ'ল। এৰা, কেইদিন মান তালৈ নগ'লেই বকুল দাৰ গালি খাব লগা হয়,

"তহঁত এতিয়া লাট চাহাব হ'লি, মেমনী হ'লি। মোৰ ওচৰলে ক'ত আহিবি?"

আচলতে সন্ধ্যাহঁতৰ দৰে ল'ৰা ছোৱালীবোৰেই মহামায়াখন জীপাল কৰি ৰাখে। গোটেই দিনটো একো বিক্ৰী নহ'লেও বকুল দাৰ আপত্তি নাই কিন্তু দিনটোত কাৰো লগত আড্ডা মাৰিবলৈ নাপালে পিছদিনাই তেওঁৰ গালি আৰম্ভ হৈ যায়। ময়ূঁৰে লগ ধৰাত সন্ধ্যাও তালৈকে বুলি ওলাল। পাটকাই পাৰ হওঁতে এবাৰ হোষ্টেলটোৰ ফালে ঘূৰি চালে সন্ধ্যাই। ময়ূঁৰে সুধিছিল,

"কাৰোবাক চাইছা?"

এটা হুঁমুনিয়াহেৰে সন্ধ্যাই ক'লে,

"নাই"

"মুঠৰ ওপৰত গোটেইখন গৈ থৈ সৌ তিৰাশীৰ নিচিনা হ'ব চাই থাক। মিলিটেৰীৰ ভয়ত হাবিত লুকাবগৈ লাগিব ল'ৰামথা।"

মহামায়া পাওঁতেই বকুল দাৰ গলগলীয়া মাতৰ ভাষণ কাণত পৰিলহি সন্ধ্যাহঁতৰ। ইয়ালৈ আহিলেই যেন দিনটোৰ ভাগৰ শেষ হৈ যায়। কি কি যে কথা নাপাতে সিহঁতবোৰে বকুল দাৰ লগত। উপন্যাসৰ কাহিনীৰ পৰা ৰামায়ণ মহাভাৰতৰ লৈকে, ক্লাছৰ সৰু ডাঙৰ ঘটনাৰ পৰা চিনেমা চিৰিয়েললৈকে, গ্ৰন্থমেলাৰ পৰা ৰাজনীতিলৈকে একো বাদ নপৰে আড্ডাত। আজিও সন্ধ্যাহঁত গৈ পাই দেখে তাত ইতিমধ্যে প্ৰিয়ানুজ বহিয়েই আছিল। অভিমন্যু যোৱাৰ পাছত বহুদিন প্ৰিয়ানুজক সন্ধ্যাই লগ পোৱাই নাই। ময়ূঁৰক অৱশ্যে দৈনিক খা খবৰ লৈ থাকে প্ৰিয়ানুজে।

Kaushik

"কি হে বকুল দা? কোন হাবিত লুকুৱাৰ কথা ক'লে?" মহামায়াত সোমায়েই সন্ধ্যাই সুধিলে। লগে লগে বকুল দাই ভেকাহি মাৰি আহিলেই,

"মনে মনে থাকহঁত ঔ। লোকসভাত জিকাই লৈছিলি নহয়, এতিয়া পা বাপ্পেকে মচলা। কাইলে পৰহিলে বাংলাদেশী আনি যেতিয়া অসম ভৰাই দিব, তেতিয়া গাবি আমাৰ সোণাৰ বাংলা।"

সন্ধ্যাই বুজিয়েই পোৱা নাই আলোচনা কিহৰ,

"মানে? বাংলাদেশী সমস্যা কিবা আজিৰ নে? সেইটো ইমান দিনে চলিয়েই আছে দেখোন।"

বকুল দাৰ যেন এইবাৰ আৰু খং উঠিল। প্ৰিয়ানুজলৈ চাই ক'লে,

"দেখিছ প্ৰিয়ানুজ, এইবোৰ আমাৰ ল'ছালি। এফালে বেলেগ কলেজৰ ল'ছালিয়ে প্ৰতিবাদ কৰি মাৰ খাই আছে আৰু আমাৰ এইয়া। হেৰৌ, এই বৰপিতায়েৰহঁতে যে কেব বুলি কিবা এখন আনিব খুজিছে গম পাঁৱ নে কিবা?"

সন্ধ্যাই এতিয়াহে বুজিলে ; হয়তো, তাইও শুনিছে কেবৰ বিৰোধিতা কৰি গুৱাহাটীৰ ফালে কলেজবোৰৰ ল'ৰা ছোৱালীবোৰে পুলিচৰ লাঠিৰ কোবো খাবলগীয়া হৈছে হেনো। কিন্তু সিহঁতবোৰেহে কোনেও ইয়াক বেছি গুৰুত্ব দি লোৱাই নাই। এতিয়া বকুল দাৰ কথাত হে উমান পাইছে যে কথাটো ইমানো উলাই কৰিব পৰা বিধৰ নহয়। সন্ধ্যাই প্ৰিয়ানুজক সুধিলে,

"কেবখন সঁচাই বেছি ভয়ানক নেকি প্ৰিয়ানুজ দা?"

"আমি যিমান বেছি ভয়ানক বুলি ভাবিছোঁ তাতকৈও বহুগুণে বেছি ভয়ংকৰ এইখন।"

প্ৰিয়ানুজৰ কথাত আচৰিত হৈছিল সন্ধ্যা আৰু ময়ূঁৰ। চৰকাৰখনে কি কৰিব খুজিছে তেন্তে এইবোৰ। অতখন ৰাইজৰ মৰম, আদৰ আৰু আশীৰ্বাদ শিৰত লৈ এইবোৰ কৰিবলৈ সত গৈছে নে! প্ৰিয়ানুজে বুজাই দিছিল সন্ধ্যাহঁতক কিদৰে এই বিলখনৰ জৰিয়তে ২০১৪ লৈকে থকা সকলো হিন্দু বাংলাদেশীক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হ'ব আৰু অসমে যে আকৌ এবাৰ বাংলাদেশীৰ বোজা কঢ়িয়াব লাগিব।

"কি? ২০১৪ লৈকে?"

Kaushik

ময়ূঁৰে আচৰিত হৈ চিঞৰিছিল। আচৰিত হ'বৰ কথাই। ছবছৰীয়া অসম আন্দোলন হৈছিল ১৯৫১ চনক ভিত্তিবৰ্ষ কৰিবলৈ আৰু শেষত ১৯৭১ লৈকে মানি ল'লে। তাৰ পাছত এতিয়া ক'ত ১৯৭৫ আৰু ক'ত ২০১৪! এৰা, কথাবোৰ ভবাতকৈও বহু বেছি ভয়ংকৰ। কিন্তু অসমৰ মানুহে বুজি পাব নে এইবোৰ! পালেও সাহস হ'ব নে আকৌ এবাৰ ৰজাঘৰৰ বিৰুদ্ধে থিয় হ'বলৈ! ৮৫৫ জনৰ কেঁচা তেজ নুশুকাওঁতেই এতিয়া আকৌ সেই একেই অৱস্থা। এইবাৰো পুনৰ কোনোবা অসমীয়াক হেৰুৱাব লগা নহ'লেই হ'ল। কথাবোৰ পাতি আছিল গোটেই কেইটাই। এৰা, পাতি থকাৰ বাহিৰে আৰুনো কি কৰিব পাৰে সিহঁতে।

"আপুনি কি কয় প্ৰিয়ানুজ দা, যদি অসমত আকৌ তিৰাশীৰ দৰে পৰিস্থিতি হয় আমাৰ ইউনিভাৰ্চিটীৰ পৰা প্ৰতিবাদ হ'ব নে?"

কথাৰ মাজতে এবাৰ ময়ূঁৰে সুধিলে। হুঁমুনিয়াহ এটা পেলাই প্ৰিয়ানুজে কৈছিল,

"আশা নাই অ'। একেবাৰেই নাই। আজিলৈকে যোৱা পঁচিছ বছৰে প্ৰতিবাদৰ নামত TU ত অকল সেই Techxetra ত হোৱা প্ৰতিবাদটোৱেই যি হৈছিল কিন্তু সেইটো ঘটনাৰ ৰিজাল্ট যিটো হ'ল, তাৰ পাছত যে আৰু কিবা হ'ব মোৰ বিশ্বাস নহয়।"

এৰা, কথাবোৰ তেনেকুৱাই। ৮৫৫ জন শ্বহীদৰ কেঁচা তেজেৰে নিৰ্মিত বিশ্ববিদ্যালয় এইখন। তাৰ পাছতো এইধৰণে হুঁমুনিয়াহ পেলাবলগীয়া কথাই বহু কিবা কিবি কৈ যায়।

Kaushik

মহামায়াৰ পৰা সন্ধ্যা Essential লৈ আহিল। কিবা বস্তু এটা নিবলৈ আছে। তাই ৰুমলৈকে যাব ওলাইছিল। কিন্তু হঠাৎ মনত পৰাত আকৌ এইফালে আহিলে। ময়ূঁৰ আৰু প্ৰিয়ানুজো মহামায়াৰ পৰা নিজৰ হোষ্টেললৈ গ'ল। Essential ভিতৰলৈ সোমোৱা দুৱাৰখন পিছফালে। সেইফালেৰে সোমাবলৈ লওঁতেই হঠাৎ সন্ধ্যাৰ চকুত পৰিল, ভিতৰত অনুৰণ আৰু অনুৰাধা। বুকুখনৰ সেই বিষটোৱে হঠাৎ উক দি উঠিছে আকৌ তাইৰ। Essential ৰ ভিতৰত বেছি মানুহ নাই বাবে অনুৰাধাহঁতৰ কথা বাহিৰলৈকে উফৰি আহিছে। সেইটো অনুৰণৰ মাত,

"তুমি কৰ্ণফ্লেক্সো খোৱা নেকি?"

কাক সুধিছে বাৰু! হয়তো অনুৰাধাক। পিছৰ থিনি সন্ধ্যাই শুনা নাই। অলপ পাছতে হাঁহিৰ শব্দ। সন্ধ্যা এখোজ দুখোজকৈ পিছুৱাই আহিল। সম্পূৰ্ণ আঁৰ হৈ তাই অনুৰণলৈ এবাৰ চালে। সৌটো অনুৰণ। দুদিন আগলৈকে দূৰত থাকিলেও যাক তাই নমতাকৈ থকা নাছিল, সেই অনুৰণ আজি ইমান কাষত থাকিও দূৰৈত। মন গৈছে, সন্ধ্যাৰ মন গৈছে এবাৰ তাক মাতোঁ, এবাৰ মাত্ৰ এষাৰ তাৰ মাতটো শুনোঁ। কিন্তু নাই, তাই নামাতিলে। মাত্ৰ দূৰৈৰ পৰা চাই ৰৈছে তাক। সন্ধ্যা য'ত ৰৈছে তাৰ পৰা সৰু ফাঁকটোৰে অকল অনুৰণকে দেখিছে। মাজে মাজে সমুখলৈ অনুৰাধা আহে। আকৌ বস্তুবোৰ ল'বলৈ আঁতৰি যায়। হয়তো ভিতৰত আৰু কোনো নাই। অনুৰাধা চাগে বজাৰৰ বাবে আহিছে তাইৰ মনৰ মানুহজনৰ লগত। সৌৱা, ভিতৰত আকৌ হাঁহিৰ জোৱাৰ। বুকুখন উশাহ ল'ব নোৱাৰাকৈ গধূৰ হৈ আহিছে সন্ধ্যাৰ। উস, উশাহবোৰ ইয়াতে ৰৈ যোৱা হ'লে। জুৰিহঁতে অনুৰাধাক অনুৰণৰ লগত জোকাওঁতেও সন্ধ্যাৰ কেতিয়াও জ্বলন নাইবা জেদ অহা নাছিল, কাৰণ তাই জানিছিল বিশ্বাস আছিল যে অনুৰণ কেৱল তাইৰ। কিন্তু এতিয়া যে থনৰ থনৰকৈ ভাঙিছে তাইৰ বিশ্বাসৰ ঘৰটি। নাই, সন্ধ্যা আৰু ৰৈ থাকিব নোৱাৰে। সোৱণশিৰীৰ ফালে খোজ দিলে তাই। এবাৰো উভতি নোচোৱাকৈ। গোটেই পৃথিৱী যেন তাইৰ অচিনাকি আজি। সৌ পোহৰবোৰে চকুত ধৰিছে সন্ধ্যাৰ। তাইক অলপ এন্ধাৰ লাগে। নিজক নিচুকাব পৰাকৈ অলপ এন্ধাৰ। পিছফালে কোনোবাই মাতিছে যদিও শুনা নাই তাই। খৰ খোজেৰে সোৱণশিৰীলৈ গৈ থকা সন্ধ্যাৰ চকুত পৰা নাছিল Essentialৰ ভিতৰত সিটো চুকত ৰৈ থকা জুৰি। অনুৰাধাৰ সৈতে হাঁহি হাঁহি অনুৰণক কিবা কথাত জোকাই বজাৰ কৰি আছিল জুৰিয়ে। বজাৰ কৰি অনুৰাধা আৰু জুৰিহঁত ওলাই যোৱাৰ পাছত অনুৰণ যেতিয়া আগবাঢ়িছিল কেছ কাউন্টাৰত পইছাটো দিবলৈ সন্ধ্যা গৈ ৰুম পাইছিলগৈ।

কোনোবাই পিছফালৰ পৰা মাতিছিল হ'বলা। কিন্তু সন্ধ্যাৰ কাণত একোৱেই সোমোৱা নাই। অনুৰণ যেন আজি সন্ধ্যাৰ বাবে এটি মৰীচিকা। হঠাৎ আহি গুছি যোৱা এজাক ফাগুনী বতাহ। ছয়া ময়া আজি অনুৰণৰ ভালপোৱা। লাহে লাহে ধূসৰ হ'বলৈ লোৱা কিছু কাতৰ হেঁপাহ। ৰুমত সোমায়েই সন্ধ্যা বাগৰি দিলে বিচনাত। গাৰুটোত মূৰটো গুজি দিলে জোৰকৈ।

Essentialত বাজি আছিল জনপ্ৰিয় গীত এটিৰ কলিটো,

"মৰীচিকা যেন এটি ছাঁয়া

কিনো মায়াময় ছয়া ময়া,

Kaushik

কিয়নো জোকাঁৰ তই ফাগুনী মলয়া

আৱেগে উপচা মন আজি উৰণীয়া...."

(আগলৈ)

#নিৰিবিলি

Part 108

কাৰোবাৰ হৃদয়ৰ ইমান গভীৰলৈও সোমাব নালাগে যাতে তাৰ পৰা উলিয়াই দিলে আশ্ৰয়হীন হৈ পৰা যায়। অনুৰণক নিজৰ পৃথিৱী বুলি ভাবি লোৱাৰ বাবেই আজি সন্ধ্যাৰো সেই অৱস্থা। অথনিৰে পৰা বিচনাত পৰি আছে তাই। কন্দা নাই, কিন্তু চকু পানীও ৰখা নাই। কিন্তু মাজে মাজে এটা বিকট শব্দ কৰে মুখেৰে। শব্দটো যাতে বাহিৰলৈ নোলাই তাৰবাবে গাৰুটোত গুজি দিছে মুখখন। বিকট শব্দটোৰ সলনি বাহিৰ হৈছে সৰু কেঁচুৱাৰ কান্দোনৰ দৰে চেঁপা কোঁ কোঁৱনি এটা। কিয় এনেকুৱা কৰিছে অনুৰণে! সি হাজাৰ কওঁক, তাই কেতিয়াও নামানে যে সি সিহঁতৰ সম্পৰ্কটো কি বুজি পোৱা নাই। সকলো জানে সি। বুজিও পায়। তাৰ পাছতো! এবাৰ বিচনাৰ পৰা থিয় হৈ ফোনটো ল'লে সন্ধ্যাই। অভিমন্যুৰ নম্বৰটো লগালে। এই সময়ত তাইক চম্ভালিব পৰাকৈ অভিমন্যুৰ বাহিৰে আন কোন আছে!

"The number you have dialed is currently switched off"

এৰা, হয়তো সি ব্যস্ত। অথনি মহামায়াত এবাৰ ময়ূঁৰেও কৈছিল। NSD ত ক্লাছ হেনো বহুত দেৰিলৈকে হয়। উপায় নাই, সময় এনেকুৱাই। সন্ধ্যাই জানে, আজি অভিমন্যু ইয়াত থকা হ'লে তাই ইমান অকলশৰীয়া নহ'লহেঁতেন। সঁচাই সময় বৰ নিষ্ঠুৰ যেতিয়াই কাৰোবাক আটাইতকৈ বেছিকৈ কাষত পাবৰ মন যায়, তেওঁকেই সময়ে দূৰলৈ লৈ যায়।

"সন্ধ্যা দিদি, অ' সন্ধ্যা দিদি"

বাহিৰত কাৰোবাৰ মাত। বিচনাৰ পৰা থৰধৰকৈ উঠি চকুপানীখিনি মোহাৰিলে সন্ধ্যাই। দীঘলকৈ উশাহ এটা টানি ল'লে যাতে তাইৰ মাতত উচুপনি ওলাই নাহে। সকলো পাৰিলেও সন্ধ্যাই নিজৰ দুৰ্বলতা কেতিয়াও আনৰ আগত দেখুৱাব নোৱাৰে

Kaushik

যদিহে তেওঁ সন্ধ্যাৰ নিজৰ আপোন কোনোবা নহয়। সেই কথা তেজপুৰেই শিকাইছে তাইক। নিজৰ কষ্টবোৰ আনক শুনাই একো লাভ নাই, কাৰণ বিষৰ মলম নাথাকিলেও নিমখ কিন্তু সকলোৰে ঘৰতে থাকে। আৰু ইয়াত ঘাঁত নিমখ দিয়া মানুহৰ অভাৱ যে নাই, সেয়া সন্ধ্যাতকৈ ভালকৈ আন কোনে বুজিব।

"সন্ধ্যা দিদি"

আকৌ মাত। এইবাৰ সন্ধ্যাই গৈ দুৱাৰৰ হুকটো খুলি দিলে সন্ধ্যাই। দুৱাৰখনৰ সিপাৰে ৰৈ থকা ঝৰ্ণাই চিঞৰি উঠিল,

"দূগ্গা দূগ্গা, তুমি একা অন্ধকাৰে কি কৰছ?"

ঝৰ্ণা ৰয়, সেই নন্দিনীৰ ৰুমমেটজনী। সন্ধ্যাক বৰ ভাল পাই তাই। সেইবাবে কাম নাথাকিলে কেতিয়াবা সন্ধ্যাৰ ৰুমতে আহি আড্ডা মাৰি থাকেহি। আধা বঙালী আধা অসমীয়াত অনৰ্গল কথা কৈ যোৱা ছোৱালীজনীক সন্ধ্যাইও বৰ মৰম কৰে।

"আহ ঝৰ্ণা।" বুলি সন্ধ্যা ভিতৰলৈ আহিল। পিছে পিছে ঝৰ্ণাও কথা কৈ কৈ সোমাই আহিল,

"কি হলো দিদি, তোমাৰ মনটা খাৰাব নেকি?"

সন্ধ্যাই খিলখিলাই উঠিল,

"ধুৰ, লাইট অফ কৰি থ'লে মন বেয়া হয় নেকি হা? ৰ, তোলৈ বস্তু এটা থৈ দিছোঁ।"

সন্ধ্যাই কথাটো কৈ ৱাৰ্ড্ৰবৰ পৰা টেমা এটা উলিয়াই আনিলে। ঘৰৰ পৰা অনা নাৰিকলৰ লাৰু আছিল তাত। ঝৰ্ণাই ভাল পাই বাবে তাইলৈ থৈ দিছিল। সেইটো উলিয়াই সন্ধ্যাই ঝৰ্ণালৈ আগবঢ়াই দিলে।

"থেংক ইউ চ' মাচ্চ দিদি।"

নাৰিকলৰ লাৰু চোবাই চোবাই ঝৰ্ণা লেকচাৰত লাগিল,

"আজকে কি ঘটেছে জানেন দিদি?"

"কি হ'লনো অ'?"

"সেই যে চম্বু"

Kaushik

"কোন চম্ভু নো?"

"আৰে কেমিষ্ট্ৰী ডিপাৰ্টমেন্টৰ যে, সেই যে তবলা বজাই"

"অঁ অঁ, কি কৰিলে শম্ভূয়ে?"

চিনি নাপালেও এনেয়ে অঁ বুলি ক'লে সন্ধ্যাই। নহ'লে শম্ভূৰ বায়'ডাটা মাতি যাব ঝৰ্ণাই। সন্ধ্যাই চিনি পাওঁ বুলি কোৱাত ঝৰ্ণাই দুগুণ উৎসাহেৰে কৈ গ'ল,

"সি মোক আজি প্ৰপোজ কৰিলে নহয়।"

"কি, ভালহে। তই য়েচ দিলি নে নাই?"

"ছি, কাম নাই মোৰ আৰু। সেইটোৰ আৰু এজনী জিএফ আছে নহয়। মই উলিয়াই দিলোঁতো। চাল্লা বেটা, সে ভেবেছিল আমি মূৰ্খ।"

তাইৰ কথাত হাঁহি উঠিল সন্ধ্যাৰ। ঝৰ্ণাৰ কথাবোৰত কেতিয়াবা ৰীণাবাহঁতলৈ মনত পৰি যায় সন্ধ্যাৰ। সিহঁত থাকোঁতেই এইদৰে গৰম গৰম আড্ডাবোৰ চলিছিল। লগতে প্ৰাণচঞ্চল হাঁহি। অলপ সময় কিবা কিবি কথা কৈ গ'ল ঝৰ্ণাই। সন্ধ্যাই মাজে মাজে দুই এষাৰ কৈ গৈছে। প্ৰায় আধা ঘন্টা মানৰ পাছত তাই যাবলৈ ওলাল,

"আচ্ছা দিদি, আমি যাই হা।"

ঝৰ্ণা যোৱাৰ পাছত দৰ্জাখন জঁপাই লাইটটো আকৌ অফ কৰি দিলে সন্ধ্যাই। পোহৰবোৰে কিবা চকুত ধৰে তাইৰ আজিকালি। অলপ সময় একো মুখেৰে নামাতি বিচনাতে বহি ৰৈছে সন্ধ্যা। এনেবোৰ সময় কিয় আহে বাৰু! এই যে ভিতৰি টুকুৰা টুকুৰকৈ ভাঙি আছে কাকো ক'ব পৰা নাই। চিঞৰি দিবৰ মন গৈছে আকাশ বিদাৰি, কিন্তু সাহস হোৱা নাই। তেনেকুৱাতে চিনাকি কোনোবাই সুধিছে, "কি খবৰ, ভাল নে?" মন গৈছে, খুব মন গৈছে যেন তেওঁক সাৱটি ধৰি এফালৰ পৰা কৈ যাব, "খুব কষ্টত আছোঁ অ' মই"। কিন্তু তাৰ সলনি মাত্ৰ "উম ভালেই" বুলি আঁতৰি আহিছে। উশাহবোৰ ঘূৰি নাহিব যেন অনুভৱ হয়। মৰা নাই, কিন্তু জীয়াইও থকা নাই। চাৰিওফালৰ পৃথিৱীখন যেন আচৰিত ধৰণে সলনি হ'ব ধৰিছে, যেন সকলো আগবাঢ়িছে। এই যে ৰৈ যোৱাৰ ভয়টো, চিনাকীবোৰ অচিনাকি হোৱাৰ সময়টো তাতেই জীৱনটোৰ খুব নিলাজ নাঙঠ ৰূপ এটা দেখা যায়। সন্ধ্যাইও দেখিছে। কান্দিছে, ভাঙি পৰিছে। অনুৰণৰ প্ৰেমতকৈও নিজৰ বিশ্বাসৰ পৰাজয়ে অধিক ভাঙি পেলাইছে সন্ধ্যাক। "আছোঁতো মই" বুলি বাৰে বাৰে কৈ এই পৰিণতি জানো মানি ল'ব

Kaushik

পাৰি। এৰা, খুব সহজ, কাৰোবাক এৰি আঁতৰাই যোৱাটো। কিন্তু কাৰোবাৰ লগত একেলগে আগবঢ়াটো খুব কঠিন।

সন্ধ্যাই ঠিক কৰি পেলাইছিল। জুৰিয়ে কোৱাৰ দৰেই তাই কেতিয়াও অনুৰণ আৰু অনুৰাধাৰ মাজত নোসোমায়। কিন্তু অনুৰণে তাইক ভবাৰ দৰে তাই অনুৰণক কেতিয়াও এজন বন্ধু বুলি ভাবিব নোৱাৰে। কেতিয়াও নোৱাৰে। অভিমন্যুক যিদৰে তাই প্ৰেমিকৰ স্থান দিব পৰা নাছিল সেইদৰেই অনুৰণকো কেতিয়াও বন্ধুৰ স্থান দিব নোৱাৰে। তাই ভাল পাই, নিজতকৈও বেছি ভাল পাই অনুৰণক। সিয়ে সত্য। কিন্তু বিচাৰি নাযায় তাক কোনোদিন। দাবীও নকৰে। অনুৰণেই এদিন তাইক কৈছিল, ভালপোৱা বস্তুবোৰক দূৰৰ পৰা চাইয়ে ভাল লাগে। আজিৰ পৰা তাইও অনুৰণক দূৰৈৰ পৰাই চাব। মনতে সাজি ল'ব অনুৰণ নামৰ কাৰেং। থাকক চোন। তাইৰ গোপন কাৰেঙত অনুৰণ সদায় প্ৰিয়জন হৈ জিলিকি থাকক। লাগিলে যন্ত্ৰণায়েই নহওঁক কিয়। একপক্ষীয় ভাৱে হ'লেও অপ্ৰাপ্তিৰ মাজতো ভালপোৱা থাকে। সন্ধ্যাই অনুৰণৰ স্মৃতিৰে হাঁহি হাঁহি কটাই দিব পাৰিব ইউনিভাৰ্চিটীৰ বাকী কেইটা দিন। বিচনাত পৰিল সন্ধ্যা। চকুপানীবোৰ শুকাইছিল তেতিয়ালৈ। কষ্টবোৰো যদি এইদৰেই শুকালহেঁতেন!!

Kaushik

"সন্ধ্যাক দেখা যেন লাগিল।"

Essentialৰ পৰা ওলাই আহি অনুৰাধাই ক'লে। সিহঁত Essentialৰ সমুখৰ গছজোপাৰ তলতে ৰৈছিলহি।

"ক'ত দেখিলি সন্ধ্যাক ইয়াত?" জুৰিয়ে সুধিলে। অনুৰাধাই ৰাস্তাৰ ফালে দেখুৱাই ক'লে,

"সেইফালে, মই মাতিছিলোঁ। কিন্তু নৰ'লচোন।"

"এহ, বাদ দে। শুনচোন, ভাল সুযোগ পাইছ আজি। অনুৰণ আহিলেই মই আঁতৰি যাম। তই কথা পাতিবি। অলপ সময় কটাবি একেলগে।"

জুৰিয়ে ফুচফুচাই কোৱা কথাকেইটাত মিচিকিয়াই হাঁহিলে অনুৰাধাই।

"তোমালোক যোৱাই নাই নেকি?"

অনুৰণ essentialৰ ভিতৰৰ পৰা ওলাই আহি ক'লে।

"নাই, মানে অলপ আগতে সন্ধ্যা---"

অনুৰাধাক সম্পূৰ্ণ কৰিব নিদি জুৰিয়ে মুখতে ক'লে,

"সন্ধ্যা, মানে সন্ধিয়া অনুৰাধাই অলপ খোজকাঢ়ি ভাল পায়। মোৰ আকৌ হোষ্টেলত অলপ কাম আছে। তইয়ে এইৰ লগত গৈ দেচোন অনুৰণ।"

অনুৰাধা আঁৰ চকুৰে অনুৰণলৈ চালে তাৰ প্ৰতিক্ৰিয়া কি জানিবলৈ। নিৰুদ্বেগ সুৰত অনুৰণে ক'লে,

"মোৰ কাম আছে।"

কথাটো কৈ সি যাবলৈ ওলাইছিলেই। অনুৰাধা আগবাঢ়ি গ'ল,

"বেছি সময় নকৰোঁ নহয়। ব'লা না যাওঁ।"

"ছৰী, মই নোৱাৰিম।" অনুৰণৰ একেই কথা। অনুৰাধাই মুখ ফুলাই ক'লে,

"বেছি কৰিছা অনুৰণ, নামাতোঁ যোৱা তোমাক।"

"কেঁচুৱা নি তুমি?" এইবাৰ যেন অনুৰণৰ মাতটো কিছু কঠোৰ হৈ ওলাল। উত্তৰত অনুৰাধাও নিশ্চুপ হৈ গৈছিল। এইবাৰ জুৰিয়ে আগুৱাই আহি ক'লে,

"কি নো ল'ৰা অ' তই? অভিমানো বুজি নাপাঁৱ।"

"অভিমানহে ভাল লাগে, অভিনয় নহয়।"

গহীন মাতেৰে কথাটো কৈ খৰ খোজেৰে আঁতৰি গ'ল অনুৰণ। বজ্ৰপাত পৰা মানুহৰ দৰে ৰৈ আছিল জুৰি আৰু অনুৰাধা। অনুৰণে এইদৰে ক'ব বুলি সিহঁত এজনীয়েও কল্পনা কৰা নাছিল।

"এই সন্ধ্যাজনীয়েই অনুৰণক--"

জুৰিৰ কথাত চিঞৰি উঠিল অনুৰাধাই,

"শ্বাট আপ য়াৰ। এনি টাইম সন্ধ্যা সন্ধ্যা। সিহঁতৰ একো নাই যদিও তই কৈ কৈ হে কৰিবি গে এতিয়া।"

কথাটো কৈ তাই খঙেৰে আঁতৰি গ'ল হোষ্টেলৰ ফালে।

Kaushik

"অন্নু, অনু শুনচোন।"

পিছে পিছে খোজ লৈছে জুৰিয়েও।

সময়বোৰ পাৰ হোৱাৰ লগে লগে সন্ধ্যাই নিজকে আঁতৰাই আনিছিল সকলোৰে পৰা। নিজৰ মাজতে সাজি লৈছিল এখন অকণমাণি পৃথিৱী। য'ত তাই আৰু তাইৰ অনুৰণ থাকে। সিহঁতে কথা পাতে। কিন্তু বাহ্যিক পৃথিৱীত তাই অনুৰণৰ পৰা দূৰৈত।

"ইয়াত প্ৰিয়া আছে।"

ক্লাছৰ শেষৰ বেঞ্চত বহি থকা সন্ধ্যাৰ কাষতে অনুৰণ বহিবলৈ লওঁতেই তালৈ নোচোৱাকৈ সন্ধ্যাই ক'লে। সেইদিনা মৰ্ণিং ক্লাছলৈ সন্ধ্যা অলপ সোনকালে আহিল। ক্লাছত বেছি ষ্টুডেণ্ট অহাই নাছিল। সন্ধ্যা বহি আছিল শেষৰ বেঞ্চত। আজিকালি তাই তাতেই বহে। লগত কেতিয়াবা প্ৰিয়া, কেতিয়াবা ময়ূৰ। আজি হঠাৎ অনুৰণ বহিবলৈ লোৱাত তাই প্ৰিয়া বহিব বুলি ক'লে। তথাপিও অনুৰণ বহি পৰিল সন্ধ্যাৰ কাষতে। তাই ফালে চাই অনুৰণে সুধিলে,

"হৈছে কি তোমাৰ?"

"নাইতো, একো হোৱা নাই।"

"মিছা কথা নক'বা। ফোন কৰিলেও ৰিচিভ নকৰা। মেচেজ কৰিলেও বহু দেৰিৰ মূৰত এটা দুটা শব্দৰ ৰিপ্লাই। আৰু কথা পাতিব খুজিলেও এনেকৈ আঁতৰি যোৱা। কি হৈছে সন্ধ্যা কোৱা মোক।"

হয়, অনুৰণে সঁচায়েই কৈছে। সন্ধ্যাই ইচ্ছা কৰিয়ে আঁতৰাইছে তাক। নহ'লে কি কৰিব, অনুৰাধা আৰু তাৰ সম্পৰ্কৰ কথা জনাৰ পাছত আগৰ দৰে থকাৰ জানো যুক্তি আছে। বেলেগৰ পৰা শুনা কথাত সন্ধ্যাই কেতিয়াও বিশ্বাস নকৰে। কিন্তু অনুৰণেতো নিজেই কৈছিল তাইক।

"কিবা এটা সুধিছোঁ সন্ধ্যা। কোৱা না অ'।"

খুব কষ্টৰে ওলাই আহিবলৈ লোৱা উচুপনিটোক চেঁপি ৰাখিছে সন্ধ্যাই। মন গৈছে, যেন অনুৰণক চিঞৰি চিঞৰি কৈ দিব,

"ভাল পাওঁ তোমাক ৰণ। বহুত বেছি ভাল পাওঁ তোমাক।"

Kaushik

কিন্তু নাই। তেনে একো নকৰে সন্ধ্যাই। তাৰ সলনি ক'লে,

"তুমি ইয়াত বহা যদি মই আগলৈ যাওঁ।"

"নালাগে দিয়া। মইয়ে উঠি যাওঁ।" বুলি অনুৰণ আঁতৰি গ'ল। চকু দুটা জপাই দিলে সন্ধ্যাই। বৈ অহা পানীৰ টোপালটো টুকি দিলে কোনেও নেদেখাকৈ।

ফাৰ্ষ্ট ক্লাছৰ পাছত ব্ৰেক থকাৰ বাবে সন্ধ্যা কেন্টিনলৈ গৈছিল। উদ্দেশ্য একাপ কফি। গৈয়ে দেখিলে অনুৰণ ৰৈ আছে কেন্টিনৰ সমুখত। অলপ আঁতৰতে হাতত চাহৰ কাপ লৈ কথা পাতি আছে জুৰি, সীমা আৰু অনুৰাধাই। নাই, আকৌ এবাৰ অনুৰণৰ মুখামুখি হ'ব নোৱাৰে সন্ধ্যা। কিমান হেঁচি ৰাখিব আৱেগবোৰক। তাই ওলাই আহিল ডিপাৰ্টমেন্টৰ পৰা। এমিনিটীৰ ফালে খোজ ল'লে। এই সময়ত এমিনিটীত মানুহ কম থাকে। গতিকে তাতেই চাহ একাপ খাই আহিব। ছাতিটো মেলি ল'লে সন্ধ্যাই। ৰ'দ বুলিয়েই নহয়, মানুহক কেতিয়াবা সংগ লাগে। লাগিলে সেয়া নিৰ্জীৱ বস্তুৱেই নহওঁক কিয়।

এমিনিটীৰ সমুখৰ সেই গছজোপাৰ তলৰ ঘূৰণীয়া টেবুলখনতে চকী এখন টানি লৈ বহিল সন্ধ্যা। কাষৰ চকীখন খালী। সন্ধ্যাৰ এক মূহুৰ্তৰ বাবে এনে লাগিল সমুখত যেন অভিমন্যু বহি আছে। এই মাত্ৰ যেন জুৰিহঁতো আহি তাইৰ কাষতে বহিব। সীমাই ক'ব,

"আহ না ছেল্ফি এটা লওঁ। অফ টাইম আড্ডা।"

সময়, বৰ আচৰিত ধৰণে সলনি হ'ল মানুহবোৰ সময়ৰ ভাঁজত। সেই কোবাল সোঁতত আজি সন্ধ্যা অকলশৰীয়া। অভিমন্যুও ব্যস্ত তাৰ নিজা পৃথিৱীত।

"বাইদেউ, কি দিম?"

এমিনিটীৰ ছোৱালীজনীয়ে আগবাঢ়ি আহি সন্ধ্যাক সুধিলেহি।

"একাপ গাখীৰ চাহ।"

"লগত কিবা দিম?"

সন্ধ্যাৰ ক'বলৈ মন গৈছিল, কথা পাতিবলৈ পুৰণি লগবোৰ পাম নেকি!

"নাই, একো নালাগে লগত।"

Kaushik

ছোৱালী জনী সোমাই গ'ল। অলপ পাছতে একাপ ধোঁৱা উৰি থকা চাহ আনি টেবুলত দি গ'লহি। ফুঁৱাই ফুঁৱাই খাবলৈ লৈছিল সন্ধ্যাই চাহকাপ। এই যে দিনটো পাৰ কৰাৰ পাছতো দুই এষাৰ কথা পাতিবলৈ লগত কোনো নথকাৰ কষ্টখিনি ইয়াতেই জীৱনে বহু কথাই শিকাই যায়। অনুৰাধা শৰ্মা পূজাৰী বাইদেউৱে "নাহৰৰ নিৰিবিলি ছাঁ"ত লিখিছিল,

"নিৰ্জনতাই মানুহক সমৃদ্ধ কৰে, কিন্তু নিসংগতাই হতাশা আনে, মই নিৰ্জনতাক ভাল পাওঁ, নিসংগতাক ভয় কৰোঁ।"

বুজিছে, লাহে লাহে বুজি উঠিছে সন্ধ্যাই ইয়াৰ সাৰমৰ্ম। সন্ধ্যাৰ ওচৰলৈও আহিছে নেকি হতাশা! নাই, তাই হতাশ হ'ব নোৱাৰে। ডিপ্ৰেচন নামৰ দৈত্যটোক চিকাৰ হ'বলৈ নিজক আগুৱাই দিব নোৱাৰে।

"আৰে আৰে আৰে, এইয়া কি দেখিছোঁ। আমাৰ হিৰোইন দেখোন আজি অকলে অকলে। কিয়, অভি নাই? তোমাৰ অভি? মাতি দিয়া আকৌ। আহি যাব দিল্লীৰ পৰা। যদি নাহে তেতিয়া আমি আছোঁতো।"

কথাটোৰ লগতে এটা অশ্লীল ভাঁজ। সন্ধ্যাৰ টেবুলখনত ভেঁজা দি ৰৈ আছে কৌশিক। একুৰা জুই মূৰত দৌৰিছে সন্ধ্যাৰ। যেন এই মূহুৰ্ততে কৌশিকক তাই মনত পেলাই দিব ফাৰ্ষ্ট ছেমত তাক দি থোৱা প্ৰচণ্ড চৰ কেইটা। কিন্তু সকলোৰে আগত সেইখন হুলস্থুল কৰিবলৈ মন নাই বাবেই তাই মুখেৰে একো নামাতি টেবুল খনৰ পৰা উঠি আহিল। এমিনিটীৰ ভিতৰত গৈ চাহৰ পইছাটো দি বাহিৰলৈ আহোঁতেই বাটত কৌশিকে আকৌ আগ ভেটি ক'লে,

"ৰ'বা না। যোৱাই নে? মোক কি ইমান বেয়া পোৱা?"

নাই, বহুত হ'ল। প্ৰত্যুত্তৰ নিদিলে মানুহে বোবা বুলি ভুল কৰে আজিৰ দিনত। সন্ধ্যাই কৌশিকলৈ চাই একেবাৰে শান্ত সুৰত ক'লে,

"বেয়া পাবলৈ হ'লে আগতে ভালতো পাব লাগিব। আৰু তোমাকতো কেতিয়াও বেয়া নাপাওঁ কৌশিক। কাৰণ, তুমি বেয়া পোৱাৰো যোগ্য নহয়।"

কথাটো কৈয়ে আঁতৰি আহি ডিপাৰ্টমেন্টৰ ফালে খোজ ল'লে সন্ধ্যাই। টেবুলখনত হাতেৰে ঢকিয়াই কৌশিকে মুখৰ ভিতৰেত গুজৰি উঠিল,

"চাই ল'ম আৰু কেইদিনলৈ এই অহংকাৰ থাকে।"

Kaushik

কৌশিকক তেনেকৈ ক'লেও সন্ধ্যাৰ যেন গোটেই গাটো কঁপি উঠিছিল। ফোঁপাইছিল তাই। ফাৰ্ষ্ট ছেমৰ সেই ঘটনাটোৰ পৰা যিটো কৌশিকে তাইক দেখিলেও নেদেখা ভাও জুৰি আঁতৰি গৈছিল। আজি সিও এইদৰে অশ্লীল ইংগিতেৰে কথা ক'ব পৰা হ'ল। সময়ে কি ৰূপ দেখুৱাইছে তাইক এইবোৰ! পাৰিবনে তাই নিজক এই চক্ৰব্যেহুৰ পৰা উলিয়াব! কথাখিনি ভাবি ভাবিয়ে মাচকমৰ ডিপাৰ্টমেন্টৰ ওচৰ পাইছিলহে। তেনেতে কাৰোবাৰ চিঞৰ,

"ঐ সন্ধ্যা, ৰচোন।"

তাই ৰৈ দিলে। দেখিলে হাতত কিবা কাগজ এখন লৈ হিমাদ্ৰী আহি আছে।

"কি খবৰ হিমাদ্ৰী বা?" সন্ধ্যাই নিজৰ ভাৱবোৰ লুকুৱাই স্বাভাৱিক সুৰত সুধিলে। আজিকালি এই কামত সন্ধ্যা পাকৈত। হিমাদ্ৰীয়ে হাতৰ কাগজখন দেখুৱাই ক'লে,

"এইখন চা, খবৰ এটা আছে। তোকেই দিওঁ প্ৰথম।"

কাগজখন এখন পোষ্টাৰ। চিনেমাৰ পোষ্টাৰ। ৰঙা ৰঙেৰে ডাঙৰকৈ লিখা আছে, "ৰত্নাকৰ" বুলি। লগতে যতীন বৰা আৰু বৰষাৰাণীৰ ফটো। হিমাদ্ৰীয়ে হাঁহি মাৰি ক'লে,

"এইবাৰ যতীন আৰু বৰষা আহিব ৰত্নাকৰৰ প্ৰমোচনত।"

মনটো ভাল লাগি গ'ল সন্ধ্যাৰ। অসমীয়া চিনেমাত এই প্ৰচাৰৰ নতুন ধাৰাটো জুবিন গাৰ্গৰ "মিছন চাইনা"ৰ পৰাই আৰম্ভ হ'ল। যিটো সঁচাই জৰুৰী আছিল, লগতে সময়ৰ দাবীও। অলপ দিন আগতে জুবিন গাৰ্গৰ আন এখন ছবি "কাঞ্চনজংঘা" ৰিলিজ হৈ গৈছে। আগৰ খনতকৈও এইখন আৰু হিট। গানবোৰো বৰ স্পৰ্শী। "কাঞ্চনজংঘা"ৰ প্ৰমোচনত জুবিন আহোঁতে সন্ধ্যা ঘৰলৈ গৈছিল বাবে লগ নাপালে। এইবাৰ পিছে বৰষাৰাণীহঁতক লগ কৰিবই। তাতে বৰষাৰাণী তাইৰ আটাইতকৈ প্ৰিয় অভিনেত্ৰী।

"মই যাওঁ দে। মহামায়াৰ পৰা আহোঁগৈ। এনেকুৱা আৰু দুখন মান পোষ্টাৰ লাগে।"

মহামায়াত হিমাদ্ৰী আৰু বকুল দাৰ দৃশ্যটো চাবলৈ মন আছিল যদিও ক্লাছ থকাৰ বাবে "ঠিক আছে" বুলি আঁতৰি আহিল সন্ধ্যা। ক্লাছত সোমাওঁতেই তাইক প্ৰীতিষাই চকলেট এটা দিলে। লগত কাগজৰ টুকুৰা এটা।

Kaushik

"বা এজনীয়ে তোলৈ দি গৈছে" বুলি আঁতৰি গ'ল প্ৰীতিষা। সন্ধ্যাই কাগজটুকুৰা খুলি চালে। তাত লিখা আছিল,

"এমিনিটীত মন মাৰি থকা দেখিলোঁ। চিনাকি হাঁহিবোৰ এনেকৈ মৰহিলে দুখ লাগে। ফুল ভালপোৱা মানুহ কেতিয়াও অকলশৰীয়া নহয়। এইকেইদিন অলপ ব্যস্ত। খুব সোনকালেই লগ পাই কথা পাতিম। ইতি, তোমাৰ চন্দ্ৰা বা।"

পঢ়ি যোৱাৰ লগে লগে মুখৰ এন্ধাৰখিনি আঁতৰি হাঁহি বিৰিঙিছিল সন্ধ্যাৰ মুখত। চন্দ্ৰালী বা, হয় বহুত দিন লগ পোৱা নাই তাইক। তাইও পিএইচডিৰ কামত ব্যস্ত। আজি তাত চাহ খাই থাকোঁতে সন্ধ্যাক দেখিছিল চাগে। চন্দ্ৰালীয়ে ফোন কৰিও খবৰ সুধিব পাৰিলে হয়, কিন্তু তেতিয়া সন্ধ্যাৰ মুখত এই হাঁহিটো হয়তো জিলিকি নুঠিলহেঁতেন। সৰু সৰু মূহুৰ্তবোৰ মৰমেৰে সজাই তুলিব চন্দ্ৰালীয়ে খুব ভালদৰেই জানে। চিঠিখন বেগত জাপি থৈ চকলেটটোত কামোৰ দিলে সন্ধ্যাই। যিমান বেয়া হ'লেও এজন ভাল সংগইও মানুহক পোহৰাই ৰাখিব পাৰে। তাৰেই উৎকৃষ্ট উদাহৰণ, চন্দ্ৰালী।

বহুদিন হ'ল, সন্ধ্যাই মাকৰ লগত কথা পতা নাই। আজিকালি তাইলৈ দেউতাকেহে ফোন কৰে। মাকে মোবাইলত কথা পাতিলে হেনো মূৰ বিষায়। সেইবাবে নকৰে। দেউতাকেই কেতিয়াবা নিজৰ ফোনৰ পৰা এষাৰ দুষাৰ পতাই দিয়ে। সেইবাবে তেনেকৈ ভালকৈ কথা পতা হোৱাই নাই। যোৱা কেইদিনমান ধৰি মাকলৈ বৰ মনত পৰি আছে সন্ধ্যাৰ। আচলতে এইকেইদিন তাইৰ গাটোও বৰ ভাল নহয়। কিবা জ্বৰ জ্বৰ ভাৱ। আজি ক্লাছলৈও নগ'ল। ভাত কেইটা খাই আহি বিচনাত পৰি আছিল অলপ সময়। ক্লাছৰ সময় পাৰ হ'ল এতিয়া। এনেই পৰি থকাত মাকলৈ ফোনটো লগালে তাই। বেমাৰত মাকৰ মাতটোৱেও ঔষধৰ দৰে কাম দিয়ে। ফোনটো উঠালে মাকেই,

"হেল্লো, কোন?"

সন্ধ্যাৰ হাঁহি উঠিল। মাক চাগে কিবা কামত লাগি আছে। সেইবাবে নম্বৰটো নোচোৱাকৈয়ে ফোন উঠাইছে। তাই ক'লে,

"মা, মই ৰুণজুন। কি কৰিছা?"

"কোন ৰুণজুন?"

Kaushik

বুকুখন চিৰিংকৈ গ'ল সন্ধ্যাৰ। এইবোৰ কি ধেমালি কৰিছে মাকে? তাইক চিনি নোপোৱা হ'ল নে! এনেতে কোনোবাই ফোনটো কাঢ়ি লৈছে,

"হেল্লো, ৰুণ। এতিয়া থচোন। পাছত কৰিম।" বুলি ফোনটো কাটি দিলে খুৰীয়েকে। একো বুজি নাই পোৱা সন্ধ্যাই। কি হৈছে মাকৰ। তাই লগে লগে দেউতাকলৈ ফোন লগালে। দেউতাক তেতিয়াও অফিচতে। তাইৰ কথা শুনি তেওঁ কৈছিল,

"মাৰে অলপ কথা পাহৰিবলৈ লৈছে ৰুণ। ডাক্তৰে কৈছে ব্ৰেইনত দুখ পোৱাৰ বাবে এনেকুৱা হ'বই হেনো।"

মূৰটো আচন্দ্ৰাই কৰিছিল সন্ধ্যাৰ। গোটেই মাহটোৰ হিচাপৰ পৰা আদি কৰি সকলোৰে পচন্দ অপচন্দ নখৰ মূৰত মনত ৰখা মাকে আজি তাইকো চিনি নোপোৱা হ'ল। খৰধৰকৈ ওলাল সন্ধ্যা। তাই এতিয়াই ঘৰলৈ যাব। মাকক সেই অৱস্থাত এনেকৈ নেৰে তাই। কাপোৰ সাজ সলাই ৰুমৰ পৰা ওলাই আহিল সন্ধ্যা। অলপ পাছতে দুপৰীয়াৰ বাছখন Essentialৰ বাছষ্টেণ্ডটো পাবহি। সন্ধ্যা তাতেই ৰ'ল। বুকুখন কঁপি আছে তেতিয়াও। বাৰে বাৰে পানীৰে ভৰি উঠিছে চকু। ঈশ্বৰে এইদৰে পৰীক্ষা ল'ব লাগে নে তাইক। সকলো ফালেই চোন এন্ধাৰ।

"ক'ৰবালৈ যোৱা নি?"

কোন সময়ত অনুৰণ আহি কাষত ৰ'লহি সন্ধ্যাই গমেই নাপায়। ক্লাছ শেষ হোৱাৰ বাবে সি এইফাললৈকে আহি আছিল। সন্ধ্যাক দেখি ৰৈ গ'ল সি। অনুৰণ ফালে নোচোৱাকৈয়ে তাই ক'লে,

"ঘৰলৈ যাওঁ।"

"এতিয়া ঘৰলৈ যোৱা যে? কিয়? আৰু ক্লাছো নাহিলা আজি?"

"এনেই।"

"কি হৈছে সন্ধ্যা? মোকতো কোৱা।"

সন্ধ্যাই একো নামাতিলে। এনেতে বাছখন পাৰ হৈ গ'ল Essentialৰ আগেৰে। মানুহ উলমি আহিছে। আৰু নধৰে। সেইবাবে এই দুপৰীয়াৰ বাছ কেইখন বাছষ্টপ কেইটাত নৰখায়েই। পাৰ হৈ যোৱা বাছখনলৈ চাই অনুৰণে ক'লে,

"মই বাইকত থৈ আহিম ব'লা মিছনত।"

Kaushik

"নালাগে, টেম্পুতে যাব পাৰিম।" বুলি সন্ধ্যা মেইন গেটৰ ফালে যাবলৈ লৈছিল। অনুৰণে আগবাঢ়ি গৈ তাইক হাতত ধৰি ৰখাই দিলে,

"হৈছে কি তোমাৰ? এনেকুৱা কিয় কৰি আছা কোৱা? যদি মই কিবা ভুল কৰিছোঁ কোৱা মোক। কিন্তু এনেকৈ নাথাকিবা সন্ধ্যা। কষ্ট হয়।"

"হাত এৰা অনুৰণ। এইবোৰ কথা যিয়ে ভাল পাই তেওঁৰ আগত পাতিবা। মোৰ লগত নহয়।"

অনুৰণৰ হাতখন জোৰেৰে এৰোৱাই সন্ধ্যা খৰ খোজেৰে আঁতৰি গ'ল। মুখখন হেঁচি খুব কষ্টৰে কান্দোনখিনি ৰখালে তাই।

সন্ধ্যা যোৱাৰ ফালে চাই বহু সময় ৰৈ আছিল অনুৰণ। সি মন কৰিছে কেইবা দিনো ধৰি সন্ধ্যা সলনি হৈছে। এইয়া সময়ৰ সোঁতত হোৱা সলনি নহয়। যেন কিবা বাধ্যত পৰি। কিন্তু কিহৰ! ইয়াৰ উত্তৰ অনুৰণেও এইবাৰ বিচাৰি পোৱা নাই। প্ৰথমে সি ভাবিছিল হয়তো মাকৰ অসুখৰ বাবে তাই অলপ মন বেয়া কৰি আছে। কিন্তু কথা যেন সেইটো নহয়। আঁৰত বেলেগ কিবা আছে! সেই বেলেগটো বহু চেষ্টা কৰিও সি উলিয়াব পৰা নাই। তাৰ বহুঘন্টীয়া অপেক্ষাৰ অন্তত যেতিয়া সন্ধ্যাৰ পৰা সেই অৱহেলাৰ উত্তৰ কেইটা পাই, বুকুখন উশাহ ল'ব নোৱাৰাকৈ ভৰি উঠে অনুৰণৰ। ক'বলৈ মন যায় তাৰ, কিন্তু ৰৈ যায়।

"ঐ, কি হ'ল। ইয়াতে ৰৈ আছ যে?"

জুৰিৰ মাতত ভাবত যতি পৰিল অনুৰণৰ। তাইও ক্লাছৰ পৰাই আহি আছিল অকলেই। অনুৰণে ক'লে,

"নাই, এনেই।"

"অনুৰণ, এটা কথা সোধো।"

"সোধ আকৌ।" অন্যমনস্ক হৈ অনুৰণে ক'লে। জুৰিয়ে তাৰ কাষলৈ আহি ক'লে,

"অনুৰাধা আৰু তোৰ কথাটো যে মোৰ কেতিয়াবা বিশ্বাসেই নহয় জাননে?"

অনুৰণে সশব্দে হাঁহি উঠিল। জুৰিয়ে আকৌ ক'লে,

kaushik

"সঁচাই কৈছোঁ, তহঁত যেনেকৈ থাক। কোনে ক'ব যে তহঁত দুটা সৰুৰে পৰাই চিনাকি। আনকি স্কুলমেটো আছিলি।"

অনুৰণে হাঁহি হাঁহিয়ে ক'লে,

"আমি এনেকুৱাই। অনুৰাধা আৰু মোক দেখিলে তেনেকুৱা নালাগেই যে আমি দহ বছৰ স্কুলত একেলগে পঢ়িছিলোঁ। তাই খুব এক্টিভ ছোৱালী আছিল। আৰু মই আগৰ পৰাই ইন্ট্ৰভাৰ্ট। চ' আমাৰ কথাও নহয় ভালকৈ।"

"এতিয়া পাতিবি আকৌ ভালকৈ। কিজানি কিবা কিবি হয়েই। আগৰে চিনাকি যেতিয়া।"

জুৰিৰ কথাত অনুৰণে আকৌ হাঁহি উঠিল,

"ধুৰ, কাম নাই নেকি আৰু। সেইচব তেতিয়া স্কুলতো নাছিল, এতিয়াও নাই।"

অনুৰণৰ হাঁহিৰ মাজত ক'ৰবাত নিয়তিয়েও যেন কুটিল হাঁহি মাৰিছিল। অনুৰণেতো কল্পনাও কৰা নাই, সিদিনা সন্ধ্যাই কৰা প্ৰশ্নটোৰ উত্তৰত "অনুৰাধা আৰু মোক দেখিলে তেনেকুৱা নালাগে" এই কথাখিনিৰ পাছত যদি আজি জুৰিক কোৱাৰ দৰেই "আমি দহ বছৰ স্কুলত একেলগে পঢ়িছিলোঁ" কথাটো লগালেহেঁতেন, হয়তো আজি সন্ধ্যা এইদৰে তাৰ পৰা আঁতৰি নগ'লহেঁতেন। ভুল বুজা বুজিবোৰ আঁতৰাই সন্ধ্যাক উভতাই আনিব পাৰিব নে অনুৰণে!

(আগলৈ)

#নিৰিবিলি

Part 109

নিজৰ প্ৰিয়জনক নিজে দুখ দিবলগীয়াতকৈ কষ্ট হয়তো আৰু ক'তো নাই। সন্ধ্যাই বুজি পাই, তাইৰ এই ব্যৱহাৰত অনুৰণে আঘাত পাইছে। কিন্তু তাৰ বাহিৰে যে আৰু উপায় নাই। হাজাৰ চেষ্টা কৰিলেও তাই অনুৰণক বন্ধুৰ শাৰীত থ'ব নোৱাৰে। যাক এবাৰ বুকুৰ মাজত বিশেষজনৰ ঠাইত বহুৱালে, তেওঁক আকৌ নমাই অনাটো জানো সহজ! হৃদয়হে সেইখন ; গণতান্ত্ৰিক ৰাষ্ট্ৰটো নহয়। প্ৰেমহে, নিৰ্বাচনতো নহয়। আজি

Kaushik

উপলব্ধি কৰিছে সন্ধ্যাই। জীৱনত কেতিয়াবা নিজৰ প্ৰিয় বস্তুবোৰৰ পৰাও দূৰ হৈ আহিব লাগে। কাৰণ চকুৰ সমুখতে সেইবোৰ আনে লৈ গ'লে বৰ কষ্ট হয়। জুৰিয়েতো সিদিনা কি সহজেই কৈ দিলে তাই অনুৰণ আৰু অনুৰাধাৰ মাজত সোমাইছে বুলি। অৱশ্যে জুৰিৰ দোষো নাই। বেচেৰীয়েতো নাজানো সন্ধ্যাই নিজে নুবুজাকৈয়ে, নজনাকৈয়ে প্ৰথম দিনাৰ পৰাই হয়তো ভাল পাই আছিল অনুৰণক। অভিমন্যুৰ লগত হোৱা ঘটনাটোৱে তাইৰ চকু মুকলি কৰিছিল। তাৰ পাছতে একো নোকোৱাকৈও যেন বহু কিবা কিবি কোৱা হৈ গৈছিল অনুৰণ আৰু সন্ধ্যাৰ মাজত। কিন্তু সন্ধ্যাই আকৌ এবাৰ ভুল কৰিলে। তাইৰ প্ৰেম একপক্ষীয়হে আছিল। কাৰণ অনুৰণে যে অনুৰাধাক ভাল পায়। বুকুখন গধূৰ হৈ পৰিছিল সন্ধ্যাৰ। মূৰটো হাওলাই দিলে তাই বাছৰ ছিটটোত। চকুত ভাহি আহিল অলপ আগতে দেখা অনুৰণৰ অসহায় মুখখন। বাছৰ ছিটটোৱে সাৱটি লৈছিল সন্ধ্যাৰ বৈ অহা অশ্ৰুৰ টোপাল।

ৰিক্সাৰ পৰা নামিয়েই চোতালত মাকক দেখিলে সন্ধ্যাই। টাবকেইটাত পানী দি আছে মাকে। মাতোঁ নামাতোঁকৈ সন্ধ্যা আগুৱাই আহিছিল। মাকে তাইক চিনি পাবতো! এনেতে মাকে মুখ ঘূৰাই তাই দেখিলে,

"আৰে, ৰুণজুন দেখোন। একো খা খবৰ নিদিয়াকে ঘপকে ওলালিহি যে। গা চা বেয়া নেকি?"

স্বস্তিৰ নিশ্বাস এৰিলে সন্ধ্যাই। মনৰ ভিতৰতে পাৰে মানে ধন্যবাদ দিলে ভগৱানক।

"নাই মা। এনেই আহিলোঁ। মনত পৰি আছিল ঘৰলে।"

"ইচ ৰাম। কেঁচুৱায়ে হৈ আছ তই।"

মাকৰ মাতত ভিতৰৰ পৰা সৰু খুৰীয়েক ওলাই আহিল,

"অ ৰুণজুন। কেতিয়া পালাহি?"

মাকে খুৰীয়েকলৈ চাই হাঁহি হাঁহি ক'লে,

"চাচোন হেৰৌ, পাঁচ বছৰ হ'ল হোষ্টেলত থকা। এতিয়াও তাইৰ ঘৰলৈ মনত পৰি গুছি অহাৰ দিন আছেই।"

খুৰীয়েকেও হাঁহিলে। মাকে তাইক বেগটো আনিবলৈ দি ভিতৰলৈ সোমাল।

Kaushik

"খুৰী, এতিয়া চোন ঠিকেই আছে মা।"

মাক যোৱাৰ পাছত সন্ধ্যাই খুৰীয়েকৰ ওচৰ চাপি সুধিলে। খুৰীয়েকে ফুচফুচাই ক'লে,

"এনেই ঠিকেই থাকে। কোনোবা সময়ত ঘপকৈ দুই এটা কথা পাহৰি যায়। কিন্তু আকৌ নিজে নিজে মনত পৰে।"

এটা হুঁমুনিয়াহ পেলাই সন্ধ্যা ভিতৰলৈ গ'ল। ৰুমত সোমাই কাপোৰ সাজ সলাইছিলহে। এনেতে মাক সোমাই আহিল ৰুমলৈ,

"ৰুণজুন, কেতিয়া আহিলি তই? আৰু আহি লৈ কাকো নমতাকৈ ৰুমত সোমাই আছহি যে?"

বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ গৈছিল সন্ধ্যা। কি ৰূপ এইয়া জীৱনৰ। সন্ধ্যাই সকলো সহ্য কৰিলেও মাক দেউতাকৰ কষ্ট কেতিয়াও সহ্য কৰিব নোৱাৰে। সেইজনী মাকৰ এই অৱস্থা কোন সতে চাই থাকিব তাই!

"মই অথনিয়ে আহিলোঁ মা। বাহিৰত পাইছিলোঁ যে তোমাক।"

সন্ধ্যাই কোনোমতে ক'লে। মাকে অলপ সময় তাইলৈ চাই থাকি হঠাৎ কৈ উঠিল,

"ইচ ৰাম। এই ঔষধ সোপাই মূৰত ধৰিলে মোৰ। পাহৰি যাওঁ জাননে কথাবোৰ আজিকালি। ৰহ মই চাহ কৰোঁ তোলৈ।"

কথাখিনি কৈ কৈ পাকঘৰৰ ফালে গ'ল মাক। সন্ধ্যাই মনতে ভাবিলে, হওঁক তেও। পাহৰাৰ কথাটো যে মাকে সাধাৰণভাৱে ল'ব পাৰিছে সেয়াও বহুত। মনতে ঠিৰাং কৰিলে তাই, ঘৰত থকা কেইদিন মাকক আৱৰি ৰাখিব।

"এটা কথা কোৱা না,

চুই মোক যোৱা না,

মই তোমাৰেনো হয় নে নহয়...."

বকুল দাৰ চুলি কেইডাল ঘটালি ঘটালি গানটো গাই আছিল হিমাদ্ৰীয়ে। এনেতে বকুল দাই তাইৰ হাতখন এৰোৱাই ধমকি মাৰি উঠিল,

Kaushik

"একে হাত চাত চিঙি আহিব দেই ছোৱালী। পেংলাই নকৰ।"

"পাপু বুলি মাতা না,

মাতি নিজক সোধা না,

তুমি মোৰেই মুমুজনী হয় নহয়..."

হিমাদ্রীয়ে সুৰ লগাই মুখেৰে সাতটা ভাঁজ কৰি গোৱা গানটোত গির্জনি মাৰি হাঁহি উঠিল দোকানত থকা গোটেই কেইটাই। চেলাউৰি থুপাই বকুল দা আঁতৰত বহিলগৈ। চন্দ্ৰালীয়ে হাঁহি হাঁহি ক'লে,

"বকুল দা, হিমাদ্রীক পতাই থাকক বুইছে। তেতিয়াহে বৰষাৰাণীৰ লগত ফটো উঠাৰ চাঞ্চ পাব আকৌ।"

"হৈছে হৈছে, এই বুঢ়াটোক বৰষা বাৰ লগত চিনাকি কৰি নিদি হে পাৰিছোঁ।"

হিমাদ্রীৰ কথাত আকৌ হাঁহিৰ ৰোল। বকুল দাই সকলোৰে হাঁহি তল পেলাই কৈ উঠিল,

"দৰকাৰ নাই তই চিনাকি কৰি দিবলৈ। মই নিজেই চিনাকি হ'ম।"

এনেতে অথনিৰে পৰা মনে মনে থকা ময়ূঁৰে ক'লে,

"বকুল দা, বৌও থাকিব কিন্তু দেই।"

"ইচ ৰাম। এই সমস্যাবোৰক কিয় খবৰ দিলি বাৰু তইঁতে?"

বকুল দাৰ কথাৰ ভাঁজত আকৌ হাঁহিত জীপাল হৈছিল সন্ধিয়াটো। কথাৰ মাজতে কম্পিউটাৰৰ ওচৰৰ পৰা উঠি আহি নতুনকৈ প্ৰিন্ট কৰা "ৰত্নাকৰ"ৰ পোষ্টাৰ কেইখন প্ৰশান্ত দাই হিমাদ্রীক দিলেহি।

"থেংক ইউ চ' মাচ্চ প্ৰশান্ত দা।"

কথাটো কৈ হিমাদ্রীয়ে পইছাটো উলিয়াই দিলে।

"পিছে হিমাদ্রী, ডি এচ ডব্লিউ ছাৰৰ লগত কথা পতা হ'লতো?" চন্দ্ৰালীয়ে সুধিলে। পইছাৰ বেগটোত চেইনডাল মাৰি হিমাদ্রীয়ে ক'লে,

Kaushik

"উম হ'ল। ছাৰো এক্সাইটেড। বৰষাৰাণী আৰু যতীন বৰা প্ৰথম আহিব ন আমাৰ ইউনিভাৰ্চিটিলৈ। গতিকে সকলো এৰেঞ্জমেণ্ট যাতে ভালকৈ হয় সেইটো চাবলৈ কৈছে। লগতে আমাৰ কাউন্সিলৰ ল'ৰা কেইটাইও বহুত সহায় কৰিছে কিন্তু।"

ইউনিভাৰ্চিটীত এইবাৰ যতীন বৰাৰ ছবি "ৰত্নাকৰ"ৰ প্ৰমোচন। হিমাদ্ৰীহঁতেই আগভাগ লৈছে। কাউন্সিলৰ ল'ৰা কেইটাৰ লগ লাগি ডি এচ ডব্লিউৰ পাৰ্মিচনৰ পৰা আদি কৰি পোষ্টাৰলৈকে সকলোখিনি কৰিছে।

"সঁচাই, অন্ততঃ অসমীয়া চিনেমাৰ প্ৰমোচন কৰিব পৰাকৈ যে ইউনিভাৰ্চিটীখন শিথিল হ'ল সেইটোতে ভাল লাগে।"

ময়ূঁৰৰ কথাটো একমুখে শলাগিলে সকলোৱে। হয়, এসময়ত ইয়াত এইবোৰ কথা কিবা সাধুকথাৰ দৰেহে আছিল। কিন্তু এতিয়া অন্ততঃ আগৰ দৰে অত্যাধিক কটকটীয়া শাসন নাই।

"হেৰি অ' ময়ূঁৰ, সন্ধ্যা ক'ত গ'ল? ডিপাৰ্টমেন্টতো দেখা নাই যে?"

সন্ধ্যা ঘৰলৈ যোৱা দুদিনেই হ'ল। তাইক নেদেখি চন্দ্ৰালীয়ে সুধিলে। ময়ূঁৰে ক'লে,

"তাই ঘৰলৈ গ'ল। মাকৰ গাটো অলপ বেয়া।"

"তাইলৈ বেয়া লাগে। অভিমন্যু যোৱাৰ পাছত বৰ অকলশৰীয়া নিচিনা হৈ গ'ল ছোৱালীজনী। যেতিয়াই দেখো অকলেই থাকে। তাৰ মাজতে ঘৰত সেয়া সমস্যা।"

পোষ্টাৰ কেইখন জাঁপি হিমাদ্ৰীয়ে কৈ গৈছিল। তাইৰ কথাত হুঁমুনিয়াহ পেলাইছিল চন্দ্ৰালীয়েও। তাইও জানে সন্ধ্যা যেন লাহে লাহে সকলোৰে পৰা আঁতৰি গৈছে। হাঁহি ভালপোৱা ছোৱালীজনীৰ মুখখনত আজিকালি খুব কাচিৎহে হাঁহি দেখা যায়।

"বাৰু, আমি গৈ থাকোঁ এতিয়া।"

কথাটো কৈ পোষ্টাৰ কেইখন লৈ হিমাদ্ৰী আৰু ময়ূঁৰ ওলাই আহিল মহামায়াৰ পৰা। কমিউনিটী হলৰ ৰাভা দাক লগ কৰি অলপ কাম আছে। এৰেঞ্জমেন্টবোৰ ভালকৈ নহ'লে লাজ পাব লাগিব।

"ৱাহ হিমাদ্ৰী, বেলেগ প্ৰমোচনত লাগিছা দেই। অসমীয়া চিনেমাৰ ওপৰতে পি এইচ ডি কৰিছা যেন পাওঁ।"

Kaushik

মহামায়াৰ পৰা ওলাই আহি শ্বপিং কম্প্লেক্স পাওঁতেই চিনাকি ছোৱালী এজনীৰ তিৎকাৰি আহি কাণত পৰিলহি হিমাদ্ৰী আৰু ময়ূঁৰৰ। হিমাদ্ৰীয়ে হাঁহি মাৰি ক'লে,

"নাই, তেওঁলোক আহিব যেতিয়া অলপ লাগি দিছোঁ আৰু।"

"ভালেই দিয়া। পিছে ৰত্নাকৰ হিট হ'লে কিবা পইছা পাতি দিব নে নাই যতীন বৰাই?"

কথাটোৰ লগতে আকৌ হাঁহি। হিমাদ্ৰীয়ে একো নকৈ "আহোঁ দিয়া" বুলি খৰ খোজেৰে আঁতৰি আহিল।

মাচকমৰ বিল্ডিংটোৰ সমুখেৰে হিউমেনিটিজ বিল্ডিঙলৈ যাওঁতে পোৱা পুখুৰীটোৰ পাৰৰ পুলটোতে বহি পৰিল হিমাদ্ৰী। কাষতে ৰৈ ময়ূঁৰে ক'লে,

"কি হ'ল বা? বহি দিলা যে?"

হিমাদ্ৰীয়ে ফেঁকুৰাৰ দৰে ক'লে,

"মানুহবোৰে এনেকৈ কিয় ঠাট্টা কৰে অ'? মই জানো কিবা আশা কৰি এইবোৰ কৰি আছোঁ ক। অসমীয়া চিনেমা ভাল পাওঁ সৰুৰে পৰা। সেইবাবে এইখিনি কৰিছোঁ। কিন্তু তাতো মানুহৰ ঠাট্টা।"

ময়ূঁৰ হিমাদ্ৰীৰ কাষত বহি পৰিল। তাইৰ কান্ধত হাত এখন দি কৈ উঠিল সি,

"হিমাদ্ৰী বা, কিছুমান মানুহৰ কামেই হৈছে আনৰ কামক লৈ সমালোচনা কৰা। গতিকে সেই মানুহখিনিৰ কাৰণে নিজক কষ্ট দি লাভ আছে জানো কোৱা।"

"কিন্তু মানুহবোৰে এনেকৈ আঘাত কৰিলে কষ্ট হয় অ'।"

ময়ূঁৰে মিচিকিয়া হাঁহিৰে কৈছিল,

"গুৰুত্ব দিবলৈ এৰাচোন। চাবা মানুহে আঘাত দিবলৈ এৰি দিছে।"

হিমাদ্ৰীয়ে মুখ উঠাই ময়ূঁৰলৈ চাইছিল। তাইতকৈ ময়ূঁৰ প্ৰায় চাৰি বছৰ মানেই সৰু হ'ব। তাৰ পাছতো এই ল'ৰাটোৰ জীৱনক লৈ যিখিনি উপলব্ধি সেইখিনি তাইৰো নাই। সেইবাবেই ময়ূঁৰ বেলেগ। এৰা, আঘাতবোৰৰ আৰম্ভণি সদায় গুৰুত্ব দিয়াৰ পৰাই হয়। যদি গুৰুত্ব দিবলৈ এৰি দিওঁ, তেন্তে আঘাত পোৱাৰো কোনো অৱকাশ নাই।

"এতিয়া ব'লা। ৰাভা দা ৰৈ আছে চাগে।"

Kaushik

ময়ূঁৰৰ কথাত হাঁহি মাৰি উঠিল হিমাদ্ৰী। কমিউনিটী হলৰ ফালে আগবাঢ়িল সিহঁত।

"ব্ৰেইনত আঘাত পাইছে। মেডিচিনো ল'ব লগা হৈছে পাৰাৰ থকা। গতিকে অলপ এই ধৰণৰ প্ৰব্লেম হ'ব পাৰে। ইমান টেনশ্যন ল'বলগীয়া একো নাই। তেওঁক মাত্ৰ ফুৰ্তিত ৰাখিবা। বেছি ষ্ট্ৰেছ ল'ব নিদিবা আৰু ৰেষ্টত থাকিব দিবা।"

ডাক্তৰে কথাখিনি কৈ ফোনটো কাটিলে। আশ্বস্ত হৈছিল সন্ধ্যা। প্ৰেচক্ৰিপচনখনৰ পৰা ডাক্তৰৰ ফোন নম্বৰটো লৈ তাই নিজেই কথা পাতিছিল মাকৰ অৱস্থাটোৰ কথা। এতিয়া তেওঁ ভালকৈ কথাখিনি বুজাই দিয়াতহে মনটো পাতল লাগিল। ঘৰৰ কামবোৰ খুৰীয়েকহঁতেই কৰে। মাকক কাম কৰিবলৈ নিদিয়েই তাৰ মাজত মাত্ৰ সেই ওচৰ চুবুৰীয়াৰ দুই এটা কথাতহে হেনো মাকৰ মন বেয়া হয় বুলি কালি বৰমাকে কৈ আছিল সন্ধ্যাক। হ'লেও সন্ধ্যাৰ বিশ্বাস আছে, মাক আকৌ সম্পূৰ্ণ সুস্থ হ'ব। তাই সেইবাবেই যোৱা দুদিন ধৰি ঘৰতে আছে।

"ৰুণ, অ' ৰুণ।"

এনেতে মাকে মতা চিঞৰত সন্ধ্যা ৰুমৰ পৰা ওলাই গ'ল। বাহিৰত মাকৰ লগতে ওচৰৰ গোলাপী পেহী বহি আছে। সন্ধ্যাই হাঁহি মাৰি মাত লগালে।

"যাচোন ৰুণ। পেহীয়েৰলৈ চাহ একাপ কৰি আন।"

মাকৰ কথাত মূৰ দুপিয়াই সন্ধ্যা পাকঘৰ পালেগৈ। খুৰীয়েক আছিল তাতে।

"খুৰী, গোলাপী পেহী আহিছে। মায়ে চাহ--"

সন্ধ্যাৰ কৈ নহওঁতেই খুৰীয়েকে ক'লে,

"মানুহবোৰৰো যে কাম। খবৰ ল'বলৈ আহি আহি এইখন হোটেল হোৱাদি হৈছে আৰু। অমুক আহিছে চাহ কৰ, তমুক আহিছে তামোল কাট। দিনটো সেয়াহে কাম আছে আৰু মোৰ।"

সন্ধ্যাই একো নামাতি আচৰিত হৈ চাইছিল মাত্ৰ। খুৰীয়েকে আকৌ ক'লে,

"বেয়া নাপাবা ৰুণজুন। ঘৰখনত কিমান কাম ওলাই জানায়েই। তাতে বেছি ভাগ অকলেই কৰিব লাগে মই। তোমাৰ মায়েতো আৰু বেমাৰ বুলি অকল আলহীৰ লগতে কথা পতাতে থাকে দিনটো।"

Kaushik

থৰ হৈ গৈছিল সন্ধ্যা। সৰুৰে পৰা দেখি আহিছে তাই, ঘৰখনৰ ইমূৰৰ পৰা সিমূৰলৈ তাঁতবাতি কাঢ়ি ফুৰে মাকে। তথাপি একো অভিযোগ নাই। সেই মানুহজনী দুদিন এনেকৈ থাকোঁতেই এই ধৰণৰ কথা শুনিবলগীয়া হ'ল। এনেকৈয়ে চলি থাকিলে আগলৈ যে আৰু বেছি বেয়ালৈ নাযাব কি মানে আছে। সৰু মাতেৰে তাই খুৰীয়েকক ক'লে,

"মই চাহ কৰিম দিয়া খুৰী।"

"ঠিকে আছে তেন্তে। সেই বাচনকেইটাও ধুই থ'বা।"

গহীনকৈ কথাটো কৈ খুৰীয়েক ওলাই গ'ল। ওঁঠখন টিপা মাৰি ওলাই আহিব লোৱা কান্দোনখিনি চেঁপি ৰাখিলে সন্ধ্যাই। কাম তাই আগতেও কৰে। খুৰীয়েকহঁতে নক'লেও তাই চকুত পৰি যোৱা কামবোৰ তাই কৰি যায়। কিন্তু মাকৰ এইটো অৱস্থাত যদি ঘৰৰ মানুহবোৰে কাম কৰিব লগা হোৱাৰ বাবে এনে ৰূপ লয়, তেন্তে মাকে কিদৰে ফুৰ্তিত থাকিবনো। ভিজি অহা চকুৰ কোণটো মোহাৰি চাহত লাগিল সন্ধ্যা।

"এইবোৰ বেমাৰ আৰু ক'ত ভাল হ'ব? চাই থাক, খুব বেছি ছয় সাত মাহ।"

"ডাক্তৰে চোন ভাল হ'ব বুলি কৈছে।"

"থ হেৰৌ ডাক্তৰৰ কথা। আমি নাজানোনে কিবা।"

"নাজানো কি হয়, দিনটো কাম কৰি কৰি মোৰ কঁকাল বেঁকা হৈ গৈছে।"

"ইচ ইচ। হয় দে। জীয়েকক একেবাৰে মেমনী হ'বলৈ হোষ্টেলত ৰাখি পঢ়ুৱাইছে। ঘৰত মৰ তহঁত লেদেনা উকটি। মইতো কওঁ, গীতা পাঠ অকণ কৰাই দে। জীৱই মুক্তি পাওঁক।"

চাহৰ প্লেটখনৰ সৈতে বাৰাণ্ডাৰ ৱালখনত ধৰি কোনোমতেহে নপৰাকৈ ৰ'ল সন্ধ্যা। বাহিৰত সেয়া খুৰীয়েক আৰু গোলাপী পেহীৰ আলোচনা। তাই আহি বাৰাণ্ডাত ৰোৱা এজনীয়েও গম পোৱা নাই। এবাৰ চকু ফুৰালে সন্ধ্যাই। নাই, ওচৰত মাক নাই। ধৈৰ্যৰ এটা সীমা থাকে। সেই সীমা সন্ধ্যাৰো পাৰ হ'ল। চাহৰ প্লেটখন বাৰাণ্ডাৰ টেবুলখনতে থৈ তাই চোতাললৈ নামি গ'ল। খুৰীয়েক আৰু পেহীয়েকহঁতৰ সমুখত গৰজি উঠিল,

"ছিহ পেহী। লাজ নালাগে আপোনাৰ এইবোৰ কথা ক'বলৈ। কোনখন কলেজত মেডিকেল পঢ়ি আহিছে হা আপুনি?"

Kaushik

প্ৰথমতে থতমত খাইছিল যদিও গোলাপী পেহীয়ে আকৌ ভোৰভোৰালে,

"মেডিকেল নপঢ়িলেও গোটেই গাঁৱে জানে দে, তোৰ মাৰে পগলা হৈছে বুলি।"

সন্ধ্যাই এইবাৰ আৰু চিঞৰি উঠিল,

"তাত আপোনাৰ কি ক্ষতি হ'ল? আপুনি খোৱাই পিন্ধাই আছে নেকি মাক? কি অধিকাৰত কি সাহসত আপুনি মাৰ কথা এনেকৈ ক'বলে আহিছে?"

"বাহ এইজনীৰ মুখখন চা। লাজ লগা নাই ডাঙৰৰ মুখে মুখে--"

পেহীয়েকক তল পেলাই আকৌ সন্ধ্যাই চিঞৰিলে,

"অঁ ক'মেই মুখে মুখে। কোন কেতিয়া মৰিব সেয়া খবৰ ল'বলৈ আপুনি কোন? নিজৰে মৰিবৰ বয়স কেতিয়াবাই পাৰ হৈ গ'ল আৰু আনক ক'বলৈ আহে।"

"ৰুণজুন, মনে মনে থাকা।" খুৰীয়েক দবিয়াইছিল যদিও সন্ধ্যাই দুগুণ জোৰকৈ চিঞৰিলে,

"কিয় থাকিম মনে মনে? মোৰ মাক কোনোবাই এনেকৈ ক'ব আৰু মই মনে মনে থাকিম? আৰু তোমাৰ অলপো বেয়া লগা নাই খুৰী? মাৰ কথা এনেকেও ভাবা তুমি? মই কেতিয়াও---"

সন্ধ্যাৰ কথা কৈ শেষ নহওঁতেই পিছফালৰ পৰা মাকে আহি তাইৰ গালত বহাই দিলে এটা পূৰ্ণহতীয়া চৰ। সন্ধ্যা স্তব্ধ হৈ ৰৈ গৈছিল কিছু সময়ৰ বাবে। তাৰ পাছত ফেঁকুৰি উঠিল তাই,

"মা, মা এওঁলোকে তোমাক--"

তাইক ক'বলৈ নিদি মাকে ক'লে,

"মই চব শুনিছোঁ। কিন্তু সেইবুলি ডাঙৰক এনেকৈ কবি নে তই? এইয়াই শিক্ষা দিছিলোঁ আমি তোক? মোৰ বেমাৰ হৈছে। বেছি দিন নাথাকিবও পাৰোঁ। একো মিছা কথা নহয়।"

সন্ধ্যা দৌৰি ভিতৰ সোমাল। বিচনাত বাগৰি হুকহুকাই কান্দি উঠিল তাই। ইউনিভাৰ্চিটীত থাকোঁতে ভাবিছিল ঘৰত আহি অলপ শান্তি পাব। কিন্তু ইয়াতো একেই অশান্তি। কিয় মানুহবোৰ ভাল হৈ থাকিব নোৱাৰে। কিয় মনত ইমান জেদ, হিংসা

Kaushik

আৰু বিদ্বেষ। কিমান সময় কান্দি আছিল সন্ধ্যাই নিজেও নাজানে। এটা সময়ত মাক আহি তাইৰ কাষতে বহিলহি। তাইৰ মূৰত হাত ফুৰাই লাহে লাহে ক'লে,

"তই যা গৈ যা ৰুণ। মই পাৰিম। ঈশ্বৰ আছে নহয়। তেওঁৱেই চাব মোক। আজিলৈকে কাৰো একো অন্যায় কৰা নাই। গতিকে তেওঁ ৰক্ষা কৰিব।"

সন্ধ্যা উঠি সাৱটি ধৰিলে মাকক। মাকৰো চকুপানী ওলাইছিল।

সেইদিনাই ইউনিভাৰ্চিটীলৈ আহিবলৈ ওলাল সন্ধ্যা। তাইৰ অনুভৱ হৈছিল কাঞ্চনৰ সেই গছ কেইজোপা দেখিলেহে যেন তাইৰ মনটো শান্ত হ'ব। মানুহক টানকৈ এষাৰ কথাও ক'ব নোৱাৰা ছোৱালীজনীয়ে আজি ইমান ডাঙৰ মানুহ এগৰাকীক ইমান বেয়াকৈ ক'লে। কিন্তু দোষ জানো অকল তাইৰ! আচলতে বিপদৰ সময়তহে মানুহে মানুহৰ আচল চেহেৰাবোৰ চিনিব পাৰে।

সময় প্ৰায় এন্ধাৰ হৈছিল। এঙেৰুৱা সাজযোৰ পিন্ধা ইউনিভাৰ্চিটীক জিলিকাই তুলি এটা এটাকৈ জ্বলি উঠিছে ষ্ট্ৰীট লাইটবোৰ। দিনটোৰ অন্তত ল'ৰা ছোৱালী বাহিৰলৈ ওলাই আহিছে। গোবিন, উত্তৰণ, ভাৰ্চিটী কৰ্ণাৰৰ ওচৰত লাহে লাহে ভিৰ বাঢ়িছে। ভাহি আহিছে জুমৰ মাজৰ প্ৰাণচঞ্চল হাঁহিৰ কাকলি।

Kaushik

তেনেকুৱা এটা ব্যস্ত সন্ধিয়াতে টেম্পুখন ৰ'লহি। সন্ধ্যা নামিল। দেউতাকে থৈ যাম কৈছিল যদিও তাইয়ে জোৰ কৰি অকলে আহিল। আচলতে সেই মাকৰ এক্সিডেণ্ট হোৱাৰ পৰা তাই ঘৰৰ পৰা দেউতাকক থ'বলৈ আহিবলৈ দিয়া নাই। কিবা অজান ভয়ে ঘেৰি ৰাখে যেন। অহাৰ সময়ত দেউতাকক তাই কথাবোৰ বুজাই কৈছিল। দেউতাকে আশ্বাস দিছিল। অফিচৰ পৰা ছুটী লৈ হ'লেও মাকৰ লগত থকাৰ কথা কৈছে। দেউতাক অনবৰতে লগত থাকিলে মাকৰ মনটোও ভাল হৈ থাকিব। সেই বিশ্বাসতে আহিছে সন্ধ্যা। দিনত সেই ঘটনাটো পাছত তাইৰ আৰু ভাত খোৱা নহ'ল। এতিয়া এই ডেৰ ঘণ্টা গাড়ীত আহিওচোন কিবা মূৰটো আচন্দ্ৰাই কৰাৰ দৰে লাগিছে। বেগটো কান্ধত লৈ সন্ধ্যা কেম্পাছৰ ভিতৰ সোমাল। বাহিৰত গোবিনতে কিবা খোৱাৰ কথা ভাবিছিল যদিও মন নগ'লচোন। পোনে পোনে ৰুমলৈ নগৈ তাই কাঞ্চনজংঘাৰ পুলটোতে বহি পৰিল। চকু দুটা মুদি দিলে। দিনটোৰ ঘটনাবোৰ এটা এটাকৈ ভাহি আহিছে চকুত। এচাটি শান্ত বতাহ। উফ, যেন ধুই নিব সকলো অৱষাদ। নাহৰজোপাই যেন বুজি উঠিছে তাইৰ দুখবোৰ। এৰা, নাহৰে বুজে। নাহৰে জানে। মানুহৰ দৰে

এৰি নাযায় সিহঁতে। মনতে ভাবে সন্ধ্যাই, গছবোৰে যে খোজ কাঢ়িব নোৱাৰে, আচলতে ভালেই। নহ'লে কিজানি সিহঁতেও লগৰীয়াবোৰক এৰি গুছি গ'লহেঁতেন।

"এইজনী সন্ধ্যা নহয়নে, কেতিয়া আহিলি ঘৰৰ পৰা?"

কাৰোবাৰ মাত শুনি ঘূৰি চালে সন্ধ্যাই। জুৰি, সীমা, অনুৰাধা আৰু প্ৰিয়া ৰৈ আছে। সন্ধ্যাই ক'লে,

"এইমাত্ৰ পাইছোঁহি।"

"আহিলি যে, মই বোলো তই আৰু নাহিবিয়েই নেকি! অভিমন্যু যোৱাৰ বেজাৰত বোলো পঢ়াই বাদ দিবি নেকি!"

সীমাৰ কথাত আটাই কেইজনীয়ে হাঁহি উঠিল খিলখিলাই। সন্ধ্যাই তলমূৰ কৰিলে।

"মাৰ গা ভাল নে এতিয়া সন্ধ্যা?"

অনুৰাধাৰ প্ৰশ্নত মূৰ দুপিয়ালে সন্ধ্যাই,

"উম ভালেই।"

"ঠিক আছে আমি যাওঁ দে। আমাৰ অনুৰাধাৰ আকৌ অনুৰণক লগ কৰিবলৈ যাবলৈ আছে।" বুলি কৈ সিহঁতবোৰ আঁতৰি গ'ল। বাটে বাটে সিহঁতৰ হাঁহিবোৰ উফৰি পৰিছিলহি সন্ধ্যাৰ কাণত। জুৰিহঁতক দেখা লগে লগে সন্ধ্যাৰ আকৌ মনত পৰিল অনুৰণৰ কথা। লগে লগে উকাই আহিছিল সুপ্ত হৈ থকা বুকুৰ বিষটো। নাই, সন্ধ্যা ঠিৰেৰে থাকিব পৰা নাই। সকলোবোৰ যেন তাইৰ পৰা আঁতৰি গৈ আছে এনে এক ভাৱ আহিল মনলৈ। এটা সময়ত পুলটোৰ পৰা উঠি আহিল তাই। দিনটো খালী পেটে থকাৰ বাবে গাটো খুব দুৰ্বল লাগিছিল। তাই লাহে লাহে সোৱণশিৰীৰ ফালে গৈ আছিল। পুলটোৰ পৰা দুই কি তিনিখোজ গৈছে হে। চকু কেইটাৰে যেন ধোঁৱাৰ দৰে দেখিছে। ৰাস্তাটো কেনি আছে, সকলো চোন কিবা ধূসৰ। মূৰটো যেন দাঙিব নোৱাৰাকৈ গধূৰ হৈ পৰিছে। কোনোবাই যেন হাতুৰীৰে কোবাইছে। দুহাতেৰে মূৰটো খামুচি ধৰিছে তাই। চকু দুটা মুদি দিছে। দুই কি এখোজ দিছিলহে। কিন্তু পৰা নাই। এসময়ত ৰাস্তাৰ ওপৰতে বাগৰি পৰিল সন্ধ্যা। লাহে লাহে জাঁপ খাই গ'ল চকুৰ পতা।

kaushik

তেজপুৰ ইউনিভাৰ্চিটীৰ হেল্থ চেণ্টাৰৰ বিচনাত নিজকে আৱিষ্কাৰ কৰিলে সন্ধ্যাই। লাহে লাহে চকু মেলিলে তাই। বিচনাখনৰ কাষত কেইটা মান ধূসৰ মূৰ্তি। চকু দুটা মোহাৰি দিয়াত লাহে লাহে স্পষ্ট হ'ল। তাইৰ সমুখত সেয়া অনুৰণ, ময়ূঁৰ আৰু অনুৰাধা। হাতটো লৰাবলৈ চাওঁতেই দেখিলে চেলাইন দিয়া আছে।

"কি হৈছিল মোৰ?" যেনে তেনে মাতটো ওলাল। ডাক্তৰ ৰূপালী মেমে কৈছিল,

"ইমান উইক যে তুমি? আৰু মানুহজনী ইমান ডিপ্রেছড কিয়? মাথা ঘূৰাই পৰিছা ৰাস্তাৰ ওপৰত। এফালে উইকনেছতো আছেই, লগতে কিবা ডিপ্রেছনৰ নিচিনা হোৱা যেন লাগিছে মোৰ।"

হয়, সন্ধ্যাকো আগুৰিছে ডিপ্রেছনে। নোৱৰা হৈছে তাই পোহৰ সহ্য কৰিব। আন্ধাৰৰ মাজত নিজক ৰাখি ভাল পায়। জোনাক ভাল পোৱা সন্ধ্যাই আজি কিমান দিন যে হ'ল আকাশলৈ নোচোৱা।

"একো চিন্তা কৰিবলগা নাই। মই চেলাইন দিছোঁ। ভাল পাবা।"

কথাটো কৈ মেম ওলাই গ'ল। অনুৰণ আগবাঢ়ি আহি অনুৰাধা আৰু ময়ূঁৰক ক'লে,

"মই আছোঁ। তোমালোক গৈ থাকা নহ'লে।"

"নালাগে। ময়ূঁৰ থাকিলেই হ'ব। তোমালোক যোৱা।"

সন্ধ্যাৰ কথাত অনুৰণে তাইৰ মুখলৈ চাই ৰৈছিল। তাৰ পাছত ক'লে,

"তোমাৰ হৈছে কি সন্ধ্যা। এনেকৈ আঁতৰি আছা কিয় মোৰ পৰা? কি ভুল কৰিলোঁ মই কোৱা।"

সন্ধ্যা নিমাতে ৰোৱা অনুৰণে অলপ জোৰকৈ চিঞৰি উঠিল,

"কোৱা"

সন্ধ্যাই লাহে লাহে কৈছিল,

"চব প্ৰশ্নৰে উত্তৰ নাথাকে অনুৰণ।"

"উত্তৰ চবৰে থাকে সন্ধ্যা। মাত্ৰ কিছুমান আমি শুনিব নোখোজো আৰু কিছুমান উত্তৰ দিব নোখোজো।"

Kaushik

গহীন স্বৰত কথাটো কৈ কেবিনটোৰ পৰা খৰ খোজেৰে ওলাই গ'ল অনুৰণ। সন্ধ্যাৰ মূৰত হাত বুলাই অনুৰাধাও ওলাই গৈছিল অনুৰণৰ পিছে পিছে। সন্ধ্যাই ফেঁকুৰি উঠিছিল। চকুৰ পানীয়ে গাৰুটো তিয়াইছিল। ময়ূঁৰে আহি মচি দিছিল চকুপানীখিনি। তাৰ পাছত সন্ধ্যাৰ হাত এখন নিজৰ হাতলৈ আনি সি ক'লে,

"ৰাধাকৃষ্ণৰ এটা কাহিনী ক'ম। শুনিবা?"

সন্ধ্যাই মূৰ দুপিয়ালে। ময়ূঁৰে কৈ গ'ল,

"ৰাধাৰ সেই সময়ত বিয়া হৈ গ'ল। দেউতাকৰ বচন ৰাখিবলৈ নিজৰ বুকুত শিল ৰাখিও ৰাধা সাজু হৈছিল আয়ানৰ পত্নী হ'বলৈ। বিয়াৰ পাছত কৃষ্ণক লগ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছিল আয়ানৰ পৰিয়ালে। সমাজে কি ক'ব, মানুহে কি ক'ব এইধৰণৰ প্ৰশ্ন উত্থাপিত হৈছিল। ৰাধাক নিৰ্দেশ দিয়া হৈছিল কৃষ্ণৰ পৰা সাত খোজ দূৰৈত থাকিবলৈ। কিন্তু ৰাধা কৃষ্ণৰ প্ৰেম জানো সমাজৰ নিয়মৰ আওঁতাত পৰে! সেয়াতো সকলোৰে ঊৰ্ধত। সেইবাবে ৰাধাই সকলো বাধা নেওঁচিও কৃষ্ণৰ কাষলৈ গৈছিল। এগৰাকী বোৱাৰী এগৰাকী পত্নীৰ দায়িত্ব সম্পূৰ্ণ কৰিও ৰাধা সদায় কৃষ্ণপ্ৰিয়া হৈ ৰৈছিল। সেইবাবে কলংকিনী আখ্যাও পাইছিল তেতিয়া। সেই সময়ত ৰাধাই সমাজৰ কথাত নিজৰ প্ৰেমক পৰিত্যাগ কৰা হ'লে হয়তো সমাজৰ চকুত শ্ৰেষ্ঠ পত্নী হ'লহেঁতেন। কিন্তু তেতিয়া আজিৰ দৰে ৰাধাক দেৱী হিচাপে আৰাধনা কৰিলে হয় জানো! ভাবাচোন, সেই সময়ত যাক কলংকিনী বুলি সমাজে ঘৃণা কৰিছিল আজি তেওঁৰ নাম জগতৰ ঈশ্বৰ কৃষ্ণতকৈও আগত লোৱা হয়। গোটেই পৃথিৱীয়ে আজি তেওঁক পূজা কৰে প্ৰেমৰ দেৱী হিচাপে।"

সন্ধ্যাই একেথৰে চাই ৰৈছিল ময়ূঁৰৰ চকুলৈ। কিবা এটা যেন বুজি উঠিছিল তাই লাহে লাহে।

আজি দেওবাৰ। শোৱাৰ পৰা সোনকালে উঠিল সন্ধ্যা। লৰালৰিকৈ গাটো ধুই তাই সাজু হ'ল। আজি তাই এজন কাউন্সেলৰৰ ওচৰলৈ যাব। প্ৰফেচনেল কাউন্সেলৰ। ডঃ প্ৰাৰ্থনা দেৱী। প্ৰখ্যাত চাইক্ৰেটিছ্। তেজপুৰ টাউনতে ঘৰ। সন্ধ্যাক সিদিনা ডিপাৰ্টমেণ্টত মনালিছাই কথাটো ক'লে,

Kaushik

"ডিপ্রেছন বস্তুটো বহুত বেয়া সন্ধ্যা। সময় থাকোঁতেই ঠিক নহ'লে পিছলৈ ই আৰু ভয়ংকৰ হৈ উঠে কিন্তু। মোৰ মতে ইউ শ্বুড টেক প্ৰফেচনেল হেল্প।"

তাৰ পাছতে মনালিছাই ডাক্তৰ গৰাকীৰ নম্বৰ দিলে। প্ৰথমে সন্ধ্যাই বিশেষ ভবা নাছিল। কিন্তু লাহে লাহে তাই অনুভৱ কৰিছে তাইক যেন কিহবাই খাই আহিছে ক্ৰমান্বয়ে। পঢ়া শুনা একোতে মন নবহে। না কাৰোবাৰ লগত কথা পাতিবলৈ মন যায় না গান শুনিবলৈ মন যায় না ওলাই যাবলৈ মন যায়। কি অসহ্য এই একাকীকত্ব। নিজলৈকে ভয় লাগিবলৈ লৈছে সন্ধ্যাৰ। শেষত তাই সিদ্ধান্ত ল'লে। তাই কাউন্সেলিং ল'ব। কালি কেন্টিনত মনালিছাকো ক'লে। মনালিছাই কৈছে ডাক্তৰগৰাকীয়ে দেওবাৰেও পাব হেনো। মাত্ৰ দেওবাৰে অকল আগবেলাহে চাই তেখেতে। সেইবাবে খৰখেদাকৈ ওলাইছে তাই। ৰুমটো লক কৰি ওলাই গ'ল। বাছলৈ নৰৈ চিধা মেইন গেটলৈকে গ'ল। টেম্পুতে যাব।

মেইন গেটখন পাৰ হৈ টেম্পুৰ ফালে যাব লওঁতেই হঠাৎ বাইক এখন ৰ'লহি সন্ধ্যাৰ সমুখত। বাইকত বহা ল'ৰাজনে হেলমেটটো খোলাত আচৰিত হ'ল সন্ধ্যা। ক'লা লেডাৰৰ জেকেটটোৰে বাইকৰ ওপৰত সেইটো অনুৰণ। তাইলৈ চাই ক'লে সি,

"বাইকত উঠা।"

"হোৱাট?"

"কি হোৱাট? কি কৈছোঁ শুনা নাই? বাইকত বহা চুপ চাপ।"

সন্ধ্যা আৰু আচৰিত হ'ল। কি হৈছে ইয়াৰ। খঙো উঠিছিল তাইৰ,

"মই টাউন যাওঁ। কাম আছে।"

অনুৰণে এইবাৰ সন্ধ্যাক হাতত ধৰি ওচৰলৈ টানি আনিলে,

"মই থকালৈকে টকা দি নিজৰ দুখ শ্বেয়াৰ কৰিবলৈ নিদিওঁ তোমাক। উঠা বুলি কৈছোঁ নহয়।"

শিল পৰা কপৌৰ দৰে ৰৈ গৈছে সন্ধ্যা। কি কৰে এতিয়া তাই।

"সন্ধ্যা, ক'ৰবালৈ যাঁৰ? অনুৰণো দেখোন লগত?"

Kaushik

কাৰোবাৰ মাত শুনি সন্ধ্যা আৰু অনুৰণে ঘূৰি চাই দেখে অনুৰাধা আৰু জুৰি ওলাই আহিছে গেটৰ ভিতৰৰ পৰা। অনুৰণে তেতিয়াও ধৰি আছিল সন্ধ্যাৰ হাতখন। তাই জোৰকৈ হাতখন আজুৰি এৰুৱাই দিলে। এনেতে জুৰিয়ে ক'লে,

"অনুৰাধা, তই টেম্পুলৈ ৰৈ থকাতকৈ অনুৰণৰ লগতে যা নহ'লে। সিও ক'ৰবালৈ যাবলৈ ওলাইছে।"

অনুৰাধা কিছু আগবাঢ়ি আহিল,

"ব'লা না অনুৰণ। টাউনত অলপ কাম আছিল মোৰ।"

অনুৰণে একো নকৈ সন্ধ্যাৰ চকুলৈ চাই ৰ'ল। সন্ধ্যাইও চালে তালৈ। প্ৰথম বাৰৰ বাবে অনুৰণৰ চকুত অশ্ৰু দেখিলে সন্ধ্যাই। চকু কেইটা ৰঙা হৈ পানীৰে ভৰি উঠিছে তাৰ। এইমাত্ৰ যেন পাৰ ভাঙি বাগৰি আহিব। এনেতে জুৰিয়ে আহি ফুচফুচাই কৈছেহি সন্ধ্যাক,

"সন্ধ্যা, কি চাই আছ? সিহঁতক যাবলৈ দে আকৌ।"

অনুৰণে মুখেৰে একো নকৈ একেথিৰেই চাই ৰৈছে সন্ধ্যালৈ। সন্ধ্যাৰ মনত বাজি উঠিল সিদিনা ময়ূঁৰে কোৱা কাহিনীটোৰ কথাষাৰ,

"সেই সময়ত ৰাধাই সমাজৰ কথাত নিজৰ প্ৰেমক পৰিত্যাগ কৰা হ'লে হয়তো সমাজৰ চকুত শ্ৰেষ্ঠ পত্নী হ'লহেঁতেন। কিন্তু তেতিয়া আজিৰ দৰে ৰাধাক দেৱী হিচাপে আৰাধনা কৰিলে হয় জানো!"

হঠাৎ ক'ৰ পৰা কি শক্তি পালে সন্ধ্যাই নিজেও নাজানে জুৰিৰ হাতখন বাহুৰ পৰা আঁতৰাই সন্ধ্যা অনুৰণৰ বাইকত বহিলগৈ। জুৰি আৰু অনুৰাধাই চকু ডাঙৰ কৰি চাই ৰৈছিল তাইলৈ। হঠাৎ সন্ধ্যাৰ কি হ'ল সিহঁতে যেন অনুমান কৰিব পৰা নাই।

অনুৰণে চকুৰ পানীখিনি মোহাৰি ল'লে। হাঁহি এটা জিলিকি উঠিছিল তাৰ মুখত। এই হাঁহিটোৰ বাবেই গোটেই পৃথিৱীৰে যুঁজিব পাৰিব সন্ধ্যাই। হেলমেটটো পিন্ধি লৈ বাইক ষ্টাৰ্ট দিলে অনুৰণে। তাৰ বাহুত হাতখন থৈ সন্ধ্যাই ক'লে,

"ব'লা ৰণ।"

Kaushik

মূহুৰ্ততে অনুৰণ আৰু সন্ধ্যাক লৈ ধূলি উৰুৱাই আঁতৰি গ'ল বাইকখন। মুখেৰে কিবা ক'বলৈও পাহৰি গৈছিল অনুৰাধা আৰু জুৰিয়ে। ওচৰৰ দোকান এখনৰ পৰা ভাহি আহিছিল গীতৰ কলি এটা,

"Ishq he mitha rog soniya

Ishq he mitha rog,

Fikar na koi kya kehte he

Iss duniya ke log...."

(আগলৈ)

#নিৰিবিলি

Part 110

ডাৱৰবোৰ যেন নামি আহিছিল, আকাশৰ নীলাবোৰে ভৰিছিল প্ৰাণ, চেঁচা বতাহজাকে বৰকৈ জোকাইছিল, বিৰিখেও গাইছিল সেউজীয়া গান।

হয়, আজি প্ৰায় দুমাহৰ মূৰত যেন সন্ধ্যাৰ মনত পলাশ ফুলিছে। কাষত যে তাইৰ প্ৰিয় অনুৰণ নামৰ ফাগুণ। ইউনিভাৰ্চিটিৰ পৰা পৰোৱা চাৰিআলিলৈকে অকোৱা পকোৱা ৰাস্তাটোৰ কাষে কাষে বহু ওখ ওখ গছ। মাজে মাজে বাঢ়নি। জীয়া ভৰলীৰ সৰু সুঁতি এটা বৈ যোৱাৰ বাবে পাৰ হৈ আহিব লাগে এখন সৰু দলঙো। এই গোটেইবোৰ চোন আজি কিবা নতুন যেন লাগিছে সন্ধ্যাৰ। ওঁঠৰ কোণৰ সলাজ হাঁহিটিয়ে তাইক বাৰে বাৰে সোঁৱৰাইছে প্ৰেম নামৰ অনুভৱটিৰ স্বৰ্গীয় মাদকতাৰ কথা। সঁচাই, হাজাৰ দুখ থাকক আমাৰ জীৱনত। মাত্ৰ সেই এজন মানুহেই যথেষ্ট সকলো কষ্ট নোহোৱা কৰি দিবলৈ। অনুৰণৰ বাহুত থোৱা হাতটো নমাই অনা নাছিল সন্ধ্যাই। হাতটোৰেই যেন অনুমান কৰিছিল তাৰ কম্পন। প্ৰেমাস্পদৰ কাষত থকাৰে কম্পন আছিল নে সেয়া। হাজাৰটা যাযাবৰী ভাবনাই ঘেৰিছিল সন্ধ্যাক। কেতিয়ানো আহি পৰোৱা পালেহি তাই গমেই নাপালে।

"নামা"

Kaushik

পৰোৱা চাৰিআলিটো পাৰ নোহোৱাকেই ইউনিভাৰ্চিটিৰ পৰা আহি থকা ৰাস্তাটোৰ মূৰত থকা হোটেলখনৰ সমুখত বাইকখন ৰখাই অনুৰণে ক'লে তাইক। মুখেৰে একো নকৈ সন্ধ্যা নামিল। অনুৰণো নামি হেলমেটটো খুলি হাতত ল'লে। সন্ধ্যাই সোধো নোসোধোকৈ সুধিলে,

"কি কৰিম ইয়াত?"

"কিবা এটা খাই লওঁ। তুমিও খোৱা। একোতো খোৱাই নাই চাগে।"

"নাখাওঁ মই। তুমি খোৱা গে যোৱা।" বুলি সন্ধ্যা আঁতৰি যাবলৈ লৈছিল। অনুৰণে লগে লগে হাতত ধৰিলে তাইৰ,

"এক্সকিউজ মি মেডাম, আপোনাৰ পাৰ্মিছন লোৱা নাই মই। একদম মনে মনে ভিতৰলে ব'লা।"

"কি কৰিছা ৰণ, হাত এৰা।" সন্ধ্যাই ইফালে সিফালে চালে।

Kaushik

অনুৰণে তাইক হোটেলখনৰ ভিতৰলৈকে লৈ গ'ল। উপায় নাপাই সন্ধ্যা মনে মনে থাকিল। ভিতৰৰ সৰু টেবুলখনতে বহিল সিহঁত। এনেতে বয়টো আগুৱাই অহাত অনুৰণে ক'লে,

"চবজি - পৰঠা দুই প্লেট।"

"মই পৰঠা নাখাওঁ। বেয়া পাওঁ।"

সন্ধ্যাৰ কথাত অনুৰণে তাইলৈ খঙেৰে চালে। তাৰ কঠোৰ চাঁৱনিত কি আছিল সন্ধ্যাই নাজানে। নিজে নিজেই তাইৰ মুখৰ পৰা ওলাল,

"হ'ব, খাম আৰু।"

হাঁহি এটা মাৰি বয়টো আঁতৰি গ'ল। সিও যেন বুজি উঠিছিল কিবা এটা। অনুৰণে মোবাইলটো উলিয়াই ল'লে। সন্ধ্যাই ভয়ে ভয়ে সুধিলে,

"আমি ক'লৈ যামনো?"

অনুৰণে মুখেৰে মাতা নাই। মোবাইলতে ব্যস্ত। সন্ধ্যাই আকৌ এবাৰ ক'লে,

"খাইয়ে উভতি যাম নে?"

অনুৰণ নিৰুত্তৰ। সন্ধ্যাই এইবাৰ নিজক কোৱাৰ দৰেই ক'লে,

"মই কাম এটাত ওলাইছিলোঁ, চব বৰবাদ মানে। ইফালে অনুৰাধাহঁতেও বেয়া পালে চাগে। কাম নাই আৰু। নহা হ'লেই ভাল আছিল। জুৰিয়ে বা কি বুলি ভাবিছে।"

এইবাৰ মোবাইলটো থৈ অনুৰণ তাইৰ ফালে হালি আহিল,

"ঐ ছোৱালী, অলপ সময় মনে মনে থাকিব নোৱাৰা নে কি?"

"নাথাকোঁ মনে মনে। অথনিৰ পৰা গালিয়ে দি আছা মোক। এনে খং একেবাৰে।"

সন্ধ্যাৰ কথাত আহিব খোজা হাঁহিটো জোৰকৈ সামৰি অনুৰণে ক'লে,

"খং উঠিব লগা কাম কৰিলেতো খং কৰিমেই।"

সন্ধ্যাইও কিবা এটা সুধিব লৈছিল। এনেতে বয়টোৱে দুই প্লেট পৰঠা আৰু ঘুগুনী দি গ'লহি।

অনুৰণে খাবলৈ আৰম্ভ কৰিলেই। সন্ধ্যা ৰৈ আছিল প্লেটখনলৈ চাই। অনুৰণে এবাৰ চকুৰে ইংগিত দিলে খাবলৈ। তাই মুখখন বেঁকা কৰি ৰৈয়ে থাকিল। শেষত সি তাইৰ প্লেটৰ পৰঠা এটুকুৰা ছিঙি ঘুগুনীৰ বাটিটোত তিয়ালে। লগে লগে সন্ধ্যাই ক'লে,

"হ'ব হ'ব। কেঁচুৱা নহয় মই। নিজে খাব পাৰোঁ।"

অনুৰণে পৰঠা টুকুৰ তাইৰ হাতত দিলে। মন নাথাকিলেও খাবলৈ লাগিল সন্ধ্যাই পৰঠাটো। অলপ সময়ৰ পাছত খাই শেষ কৰি ওলাই আহিল সিহঁত। পইছা অনুৰণেই দিলে যদিও সন্ধ্যাই জোৰ কৰি নিজৰটো তাৰ হাতত গুজি দিলে।

"বহা"

বাহিৰত বাইকখন ষ্টাৰ্ট দি অনুৰণে ক'লে। সন্ধ্যাই বহি লৈ আকৌ এবাৰ সুধিলে,

"এতিয়া কেম্পাছলৈকে ঘূৰি যাম নে?"

"নাযাওঁ।"

"তেন্তে? ক'লৈ যাম?"

"নিম তোমাক এফালে।"

Kaushik

সন্ধ্যাই আৰু একো নক'লে। কিয় জানো তাইৰ মনে কৈছিল আজি যেন ৰাতিপুৱাটোৱে তাইৰ বাবে কিবা মধুৰ আয়োজন কৰি ৰাখিছে। অনুৰণে মিছন চাৰিআলিৰ ফালে বাইক দৌৰালে। পৰোৱাৰ দোকান এখনত হিন্দী গান এটা বাজি আছিল,

"Tere saaye mein mili har khushi

Teri marzi meri zindagi

Le chal tu chaahe jahan ha ha

Meri aankhon mein nazar teri hai

Meri shaam-o-sehar tere hain

Tu jo nahi to main kahan

Khil gayi meri kismat

Paa ke teri yeh chaahat

Hum pe meharbaan do jahan...

Shukran Allah wallah Abdul ilaha

Shukran Allah wallah Abdul ilaha"

Kaushik

মিছন চাৰিআলিৰ পৰা অনুৰণৰ বাইক আগবাঢ়িছিল সোঁফালৰ ৰাস্তাটোৰে। বুজা নাছিল সন্ধ্যাই। ই আচলতে গৈ আছে ক'লৈ? এইফালেৰেতো সন্ধ্যাহঁতৰ ঘৰলৈ যায়। মানে বিশ্বনাথ চাৰিআলি, চতিয়া সেইবোৰ পায়। তাৰ মাজতেই বালিপাৰাৰে সোমাই গ'লেই ভালুকপুং আৰু অৰুণাচল বৰ্ডাৰ। কেনেবাকৈ অনুৰণ তাইৰ ঘৰলৈ যাব ওলোৱা নাইতো? সুধিলেও নকয় নহয়। বুকুখন কিবা ভয় লগাৰ দৰে হে লাগিছে সন্ধ্যাৰ। তেনেকুৱাতে মুখখন ঘূৰাই অনুৰণে ক'লে,

"চিন্তা কৰিব নালাগে, তোমাৰ ঘৰ গৈ নোলাওঁগৈ।"

হাঁহিৰে তল মূৰ কৰিলে তাই। বৰ আচৰিত এই ল'ৰাটো। ইমান কেনেকৈ বুজি পাই বাৰু! লগতে খঙো উঠিল তাইৰ। চব কথা বুজি পাই, কিন্তু আচল কথাটো এতিয়ালৈকে বুজিয়ে নাপালে। পোৱা হ'লে অনুৰাধাৰ লগত সেইবোৰ--। অনুৰাধাৰ কথা মনলৈ আহোঁতেই মনটোত এক পাপবোধে ঘেৰি ধৰিলে সন্ধ্যাক। তাই এইদৰে অনুৰণৰ লগত গুচি অহাৰ পাছত কি হৈছে চাগে অনুৰাধাৰ অৱস্থা! তাই সহজে ল'ব পাৰিব জানো এই কথাটো। নোৱাৰে, অকল অনুৰাধায়ে নহয়। পৃথিৱীৰ কোনো

প্ৰেমিকাই নিজৰ প্ৰেমিকে অইন এজনী ছোৱালীক এইদৰে বাইকত অকলে ফুৰাবলৈ লৈ অনাটো সহজভাৱে ল'ব নোৱাৰে। কথাবোৰ ভবাৰ লগে লগে নিজলৈকে খং উঠিল সন্ধ্যাৰ। তাই কিয় গুছি আহিলনো বাৰু! কিন্তু অনুৰণৰ সজল চকুযোৰৰ সেই কাতৰ আহ্বানক উপেক্ষা কৰাৰ সাহস যে সন্ধ্যাৰ নাছিল। কাৰোবাৰ অন্তৰৰ আকুলতাক ভৰিৰে মোহাৰিব সন্ধ্যাৰ দৰে অনুভৱী ছোৱালী এজনীৰ বাবে অসম্ভৱ কথা। কিন্তু সেইবুলি অনুৰাধাক জানো কষ্ট দিয়া উচিত হ'ব! সন্ধ্যাই ঠিক কৰি পেলাইছিল, যেতিয়া অনুৰণে তাইক নিজে বিচাৰিব তেতিয়ালৈকে সন্ধ্যা তাৰ কাষত থাকিব। অন্যথা তাই নিজে আঁতৰি থাকিব তাৰ পৰা। বুকুত শিল ৰাখি হ'লেও তাই নিজকে দূৰ কৰি ৰাখিব অনুৰণৰ সান্নিধ্যৰ পৰা। কিন্তু সি নিজে বিচাৰিলে এজনী বান্ধৱীৰ দৰেই তাৰ কাষত থিয় দিব। হয়, অনুৰণক বন্ধু হিচাপে গ্ৰহণ কৰিবলৈ তাইৰ কষ্ট হ'ব। হওঁক, অনুৰণৰ মুখৰ হাঁহিটোৰ কাৰণে তাই সেইকণ কষ্ট কৰিব পাৰিব। সঁচাই বৰ আচৰিত এই প্ৰেম। প্ৰিয়জনৰ অনুভৱ মানেও কেতিয়াবা বুকুত গৰজি উঠা বিষ হ'ব পাৰে। তথাপি সন্ধ্যাই সামৰি থ'ব ইয়াক বুকুতে। বিষ হ'লেও সেয়াও যে অনুৰণেই দিয়া। তাৰ পৰা আঁতৰি গৈ তাক কষ্ট দিয়াতকৈ তাৰ কাষত থাকি লাগিলে নিজেই সদায় কান্দিব। এটা কেঁচা হুঁমুনিয়াহেৰে মনটো থিৰ কৰিলে তাই।

Kaushik

বালিপাৰাৰ পৰা ভালুকপুঙৰ ৰাস্তাটোৰে সোমাই গ'ল অনুৰণৰ বাইক। তাৰ কাণৰ কাষলৈ মুখখন নি সন্ধ্যাই সুধিলে,

"আমি কি ভালুকপুং যাম?"

উত্তৰত অনুৰণে হাঁহিলে মাত্ৰ। সন্ধ্যাই বুজি পাইছিল। কিয় জানো ভালুকপুঙৰ এই প্ৰকৃতিৰ মাজত সোমাই অহাৰে পৰা মনটো কিবা এটা সাংঘাতিক ভাল লাগিছে তাইৰ।

"ঐ, ৰাস্তাটো চোৱা না।"

বাইকৰ স্পীডটো কমাই অনুৰণে ক'লে। এটা একাঁ বেঁকা ৰাস্তা। কিন্তু ক'তো কুটা এডালো পাবলৈ নাই। ইমান পৰিস্কাৰ। কাষে কাষে ওখ ওখ গছবোৰ।

"সৌ ডাৱৰবোৰ চোৱা।"

অনুৰণৰ কথাত বাওঁফালে চাওঁতে সন্ধ্যাই দেখিছিল সিহঁতৰ লগে লগে আহি থকা শুকুলা ডাঁৱৰবোৰ। তললৈ নামি আহি যেন সিহঁতক জোকাইছেহে ডাঁৱৰবোৰে। এফালে গছৰ সেউজীয়া ছাঁ, আনফালে শুভ্ৰ মেঘৰ মেলা। কাষত অনুৰণ। সন্ধ্যা যেন কোনোবা স্বপ্নপুৰীতহে আছে। চকুদুটা মুদি বৈ থকা চেঁচা বতাহজাকৰ অনুভৱ লৈছিল সন্ধ্যাই। আজি যেন প্ৰকৃতিয়েও মিলনৰ মালিতা জুৰিছে।

ভালুকপুঙৰ সেই বিশেষ পাহাৰীয়া ৰাস্তাটোৰে বাইক নামিল। অনুৰণে লগে লগে ক'লে,

"ভালকৈ ধৰি লোৱা। এইখিনি ওখোৰা মোখোৰা।"

সন্ধ্যাই এটা হাতেৰে আঁকোৱালি ধৰিছিল তাক। গৈ গৈ সিহঁত প্ৰথমে এটা সৰু জুৰি পালে। জুৰি পাৰ হৈহে আচল ঠাইখিনি। শিলেৰে ভৰি থকা জুৰিটোত পানী নাম মাত্ৰহে বৈ গৈছে। তাতে ৰৈ থকা স্থানীয় মানুহ কেইজনে ক'লে,

"বাইকত দুজন লৈ জুৰি পাৰ হ'ব নোৱাৰিব দাদা।"

Kaushik

হয়ো কথাটো, পৰিবহে এনেকৈ গ'লে। সন্ধ্যা নামিল। "তুমি খোজকাঢ়ি আহা" বুলি কৈ অনুৰণে কিবাকৈ বাইকখন নি সিটো পাৰ পালেগৈ। সন্ধ্যা যাবলৈ লওঁতেই প্ৰথম শিলটোতে পিছলিবলৈ ধৰিছিল। পানী বেছি নাই যদিও শিলবোৰ সাংঘাতিক পিছল। ওখ চেণ্ডেল পিন্ধি অহা সন্ধ্যাৰ পক্ষে পাৰ হোৱাটো অসম্ভৱ দেখি অনুৰণে সিপাৰে বাইক থৈ খোজকাঢ়ি আগুৱাই আহিল।

"ধৰা" সি হাত এখন আগবঢ়াই দিলে। সন্ধ্যাই অনুৰণৰ হাতত ধৰি পাৰ হ'বলৈ লৈছিল। তথাপি আকৌ এইবাৰ আন এটা শিলত পিছল খাব লৈছিল। অনুৰণে ধৰি নথকা হ'লে হয়তো পৰিয়ে গ'লহেঁতেন। এইবাৰ অনুৰণে একো নকৈ চিধাই সন্ধ্যাই হাতেৰে উঠাই পথালি কোলাত তুলি ল'লে। মানুহে কেইজনৰ ওচৰত থকা সৰু ল'ৰা কেইটাই দৃশ্যটো দেখি উকি মাৰি জোকাইছিল। সন্ধ্যাই খঙেৰে ক'লে,

"পাগল নেকি? নমোৱা।"

"এইটো খোজত গ'লে তুমি কাইলৈহে পাবাগৈ।"

কথাটো কৈ অনুৰণ আগবাঢ়িল। সন্ধ্যাক লৈ অলপ কষ্ট হৈছিল যদিও অলপ পাছত অনুৰণ জুৰিটো পাৰ হ'ল। তাৰ পাছতে গৈ ওলাইছিলগৈ আচল ঠাইখিনি। কামেঙৰ পাৰত। প্ৰথমে এডৰা ওখ ওখ কঁহুৱা। বাইকখন থৈ কঁহুৱাৰ মাজে মাজে পাৰ হৈ গৈছিল অনুৰণ আৰু সন্ধ্যা। কঁহুৱা ডৰা পাৰ হৈয়ে দেখা যায় মনোৰম কামেং নৈ।

সন্ধ্যাক হাতত ধৰি তললৈ লৈ গৈছিল অনুৰণে। কামেঙৰ পাৰত সৰু ডাঙৰ বহুতো শিল। তাৰেই এটা ঘাটত এচটা বহল শিল চাই সন্ধ্যা বহিল। কাষতে অনুৰণ। চেণ্ডেলযোৰ খুলি ভৰি কেইখন কামেঙলৈ এৰি দিলে সন্ধ্যাই। কামেঙৰ চেঁচা পানীয়ে ভৰি স্পৰ্শ কৰাৰ লগে লগে যেন উৰি গৈছিল সকলো অৱষাদ। এবাৰ চকু ফুৰাইছিল সন্ধ্যাই। চাৰিওফালে চকুৰে মণিব পৰা লৈকে অকল সেউজীয়া। তাৰ মাজতে এই নীলা কামেং আৰু পাৰে পাৰে বগা বগা শিলবোৰ। শিলৰ বুকুৰে বুকুৰে থেকা খাই কলকল শব্দৰে অবিৰাম বৈ আছে কামেং। যেন সেউজীয়া কামিজত নীলা ৰঙৰ এখন দুপাত্তাহে। বগা বগা মণিয়ে চিকমিকাই আছে দুপাত্তাখনৰ কাষে কাষে। ফটফটীয়া পানীত জিলিকি পৰিছে সন্ধ্যাৰ বগা কলাফুল। অনুৰণেও পেন্টটো কোঁচাই ভৰিখন শিল এচটাৰ ওপৰত থৈছে। শিলটোত থেকা খাই অহা কামেঙৰ পানীয়ে চুই গৈছে তাৰ ভৰিত। সঁচাই, শিলৰ বুকু ইমান কঠিন। তথাপি কিয় যে নৈয়ে তাতেই উমলি ভাল পায়।

Kaushik

কিছু সময় কথা নোকোৱাকৈয়ে পাৰ হ'ল। মনে মনে ৰৈছিল অনুৰণ। সন্ধ্যাও। এসময়ত অনুৰণেই ক'লে,

"কেনেকুৱা লাগিছে?"

হাতেৰে চেঁচা পানীখিনি চুই সন্ধ্যাই ক'লে,

"বহুত ধুনীয়া। তুমি আহিছা আগতে ইয়ালৈ?"

"উম, লাষ্ট ছেমত হোষ্টেলৰ লগৰ কেইটামানৰ লগত। তেতিয়াই ভাবিছিলোঁ তুমি ভাল পাবা।"

একো নক'লে সন্ধ্যাই। অনুৰণে কিয় ভাবিলে তাই ভাল পাব বুলি! অনুৰাধাই ভাল পোৱাৰ কথা কিয় নাভাবিলে! এনেতে অনুৰণে তাইলৈ চাই ক'লে,

"এতিয়া কোৱাচোন।"

"কি ক'ম?"

"কি হৈছে তোমাৰ?"

লগে লগে সন্ধ্যাই চিঞৰাৰ দৰে কৈ উঠিল,

"এইটো কথা মইহে তোমাক সুধিব লাগে। ৰাতিপুৱাৰ পৰা যিটোহে মোচন দেখুৱাই আছা যেন গোটেইটো জেইচিৰ অৰ্ণৱহে।"

সন্ধ্যাই একে উশাহতে কোৱা কথাটোত হাঁহি হাঁহি অনুৰণে ক'লে,

"কোন অৰ্ণৱ অ'?"

"জে ই চিৰ"

"তোমাৰ চিনাকি নেকি?"

"ধুৰ, বৰ কিবা অ' তুমি। জে ই চি এটা অনলাইন ষ্টৰী হয়। ইন্দ্ৰাণী শৰ্মা নামৰ বা এজনীয়ে লিখি আছে ফেচবুকত। ষ্টৰীটো বহুত ভাইৰেল হৈছে জানা। যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ ওপৰত। তাৰেই এটা কেৰেক্টাৰ অৰ্ণৱ। আৰু সি তাৰ গাৰ্ল ফ্ৰেণ্ড আস্থাক এনেকৈয়ে দম দিয়ে। যেনেকে আজি তুমি দি আছা মোক।"

এইবাৰ শব্দ কৰি হাঁহি উঠিল অনুৰণে,

"ৱাহ, হিৰো হৈ গৈছোঁ চোন মই।"

"একো হিৰো হোৱা নাই। তেনেকুৱা হিৰো ভাল নাপাওঁ মই।" বুলি অইন ফালে মুখ ঘূৰালে সন্ধ্যাই। অনুৰণে আকৌ ক'লে,

"আচ্ছা সন্ধ্যা, আমাৰ তেজপুৰ ইউনিভাৰ্চিটীৰ ওপৰতো চোন কিবা ষ্টৰী এটা লিখিব পাৰা তুমি।"

"লিখিমতো। তাৰ হিৰোটোৰ নাম দিম অনুৰণ।"

"আৰু হিৰোইনজনী সন্ধ্যা?"

হাতেৰে কামেঙৰ পানী এচলু লৈ অনুৰণৰ গা লৈ ছটিয়াই সন্ধ্যাই কৈ উঠিল,

"কাম নাই আৰু মোৰ। তোমাৰ হিৰোইন ন'হৈ হে পাৰিছোঁ।"

একেলগে দুইটাই হাঁহি উঠিছিল। সমুখৰ সেউজীয়া পাহাৰত থেকা খাইছিল সিহঁতৰ হাঁহিবোৰে। পুৱাৰ পাতল ৰ'দজাক চেলেকি জিলিকি উঠিছে শিলৰ বুকুবোৰ। পোহৰৰ ৰশ্মিবোৰে কঁপি কঁপি যেন নৃত্যহে কৰিছে বোঁৱতী কামেঙৰ সোঁতত।

Kaushik

অনুৰণে জেকেটটো খুলি থ'লে। সিহঁতৰ পৰা অলপ আঁতৰত পিকনিক পাৰ্টী এটা ৰৈছেহি। সিহঁতৰ পৰা গানৰ শব্দ পাতলকৈ ভাহি আহিছে বতাহৰ মাজেৰে। বতাহৰ হোঁ হোঁৱনি শব্দটোৰ লগতে কামেঙৰ কলকল ধ্বনিটোৱে কিবা যেন সুমধুৰ সংগীতহে জুৰিছে। অনুৰণে সন্ধ্যাৰ অলপ কাষ চাপি আহি ক'লে,

"সন্ধ্যা"

"কোৱা"

"মোক কিয় বেয়া পাই আছা তুমি?"

"তোমাক বেয়া পাব পাৰোঁ জানো ৰণ?"

"তেন্তে কিয় নোকোৱা একো?"

অনুৰণৰ প্ৰশ্নত নিমাত হৈ ৰ'ল সন্ধ্যা। তাই কৈ দিব নেকি অনুৰাধাৰ কথা! কিন্তু তেতিয়াতো অনুৰণৰ প্ৰতি থকা তাইৰ অনুভৱখিনিও ওলাই পৰিব জলজল পটপটকৈ। আৰু অনুৰণে যদি কয় তোমাক মই এইদৰে নাভাবোঁ। নাই, থাকক। তাতকৈ অনুৰণ বুকুতে লুকাই থাকক তাইৰ। কথাবোৰ ভাবি থাকোঁতেই অনুৰণে সন্ধ্যাৰ হাতখন নিজৰ হাতৰ মাজত লৈ ক'লে,

"প্লিজ কোৱা।"

সন্ধ্যাই কৈ গৈছিল ঘৰৰ কথা। মাকৰ অসুখ, খুৰীয়েকৰ ব্যৱহাৰ সকলোখিনি। কথাবোৰ কৈ কৈ শেষলৈ উচুপি উঠিল তাই,

"মা দেউতাৰ বাহিৰে কোনো নাই মোৰ ৰণ। মাৰ কিবা হ'লে দেউতাও শেষ হৈ যাব।"

সন্ধ্যাৰ বৈ অহা চকুপানীখিনি হাতেৰে মচি দিলে অনুৰণে,

"ইমান নিগেটিভকৈ কিয় ভাবা তুমি? একো নহয় মাৰ। ৰিকভাৰি কৰিছেই বহুখিনি।"

"মোৰ লগতে এনেকুৱা কিয় কৰিলে ভগৱানে কোৱা।"

সন্ধ্যাৰ বাহুটো সাৱটি অনুৰণে ক'লে,

Kaushik

"আগতে স্কুলত আটাইতকৈ টান অংকটো ছ্যাৰে ক্লাছৰ চোকা ষ্টুডেন্টটোক নিদিয়ে জানো?"

সন্ধ্যাই একো নকৈ মাত্ৰ উচুপি উঠিছিল। অনুৰণে আকৌ ক'লে,

"জীৱনত এইবোৰ আহিবই সন্ধ্যা। সেইবুলি ভাঙি পৰিলে হ'ব জানো? তৰাৰ জিলিকনি সদায় ৰাতিৰ এন্ধাৰতহে ওলায়।"

সন্ধ্যা কিছু শান্ত হৈছিল। অনুৰণৰ বাহুৰ পৰা ওলাই চকু মচি ল'লে তাই। এটা দীঘলীয়া উশাহ এৰিলে। যেন বহু দিনৰ পৰা বুকুখন থেকেচি থকা এসোপা বিষ ওলাই গৈছিল। এনেতে অনুৰণে ক'লে,

"আৰু এটা কথা।"

সন্ধ্যাই প্ৰশ্নবোধক দৃষ্টিৰে অনুৰণলৈ চালে। সি কৈ গৈছে,

"ঘৰত মাৰ কথা তেনেকৈ কওঁতেতো তুমি লাগি গ'লা। কিন্তু ইউনিভাৰ্চিটীত চিনাকিয়ে হওঁক বা অচিনাকিয়ে হওঁক। কোনোবাই টানকৈ ক'লে তুমি সহ্য কৰি থাকা কিয়? অভিমন্যুয়ে ফাৰ্ষ্ট ছেমতে কি বুজাইছিল তোমাক?"

"কিন্তু অনুৰণ, যেতিয়া নিজৰ মৰমৰ মানুহখিনিয়েই আঘাত কৰে তেতিয়া কি কৰিম কোৱা।"

"তেতিয়াও প্ৰত্যুৎত্তৰ দিবই লাগিব সন্ধ্যা। কুৰুক্ষেত্ৰত অৰ্জুনে শ্ৰীকৃষ্ণৰ কথাত নিজৰ মানুহৰ বিৰুদ্ধে যুদ্ধ কৰা নাছিল জানো? যিটো কথা তুমি জানা যে তোমাৰ একো দোষ নাই, তাত বেলেগ কোনোবাই তোমাক দোষাৰোপ কৰিলে বুলি তুমি মনে মনে থাকিবা নে? যদি সমুখৰ জনে তুমি বেয়া পোৱাৰ কথা চিন্তা কৰা নাই তেন্তে তুমি কিয় কৰিবা?"

একো উত্তৰ নিদি মনে মনে আছিল সন্ধ্যা। অনুৰণেই আকৌ ক'লে,

"চোৱা, মই তোমাক কাজিয়া কৰিবলৈ কোৱা নাই। কিন্তু কোনোবাই এখন গালত চৰ মাৰিলে সিখনো পাতি দিয়া নিয়ম বাদ দিয়া প্লিজ।"

"কিন্তু ৰণ, মইতো কাকো একো অন্যায় কৰা নাই।"

সন্ধ্যাৰ প্ৰশ্নত অনুৰণে হাঁহি মাৰি ক'লে,

Kaushik

"হৰিণে বাঘ নাখায়। তাৰ অৰ্থ এইটো নেকি যে বাঘেও হৰিণ নাখাব?"

সন্ধ্যাৰ একো উত্তৰ নাছিল অনুৰণৰ অকাট্য যুক্তিত।

"চোৱা সন্ধ্যা, মই জানো তুমি বহুত আৱেগিক। আৰু এইটোও জানো যে তুমি তোমাৰ আৱেগক কেতিয়াও ব্যৱহাৰ নকৰা। কিন্তু সাৱধান হ'বা যাতে তোমাৰ আৱেগখিনিক আন বেলেগেও ব্যৱহাৰ কৰিব নোৱাৰে।"

সন্ধ্যাৰ মুখেৰে হাঁহি এটি নিগৰিছিল। তাই যেন বুজি উঠিছিল,

"মই সলাম নিজকে ৰণ। আৰু কষ্ট নিদিওঁ নিজক। বেলেগকো সুযোগ নিদিওঁ।"

"ডেটছ গ্ৰেট। তুমি ভাল হোৱা, কিন্তু ভাল হোৱাৰ লাভ যাতে অইনে উঠাব নোৱাৰে তাৰো লক্ষ্য ৰাখিবা।"

সন্ধ্যাই হাঁহি মাৰি মূৰ দুপিয়াইছিল। ডাঁৰবোৰ আঁতৰি যেন মনটো ফৰকাল হৈছিল। দুপৰৰ বেলিটোৱে যেন মৰম সানিছিল তাইৰ মুখত।

Kaushik

"আমাৰ মামনৰো মনতে নাই কিমান আহিল গ'ল

দ্ৰৌপদীও কেতিয়াবাই পাছেই পৰি ৰ'ল

ওলট পালট মহাভাৰত কিহেনো পালে

গৰম গৰম কথাৰ বতাহ ঘনাই বলিলে

আমাৰ গাঁৱৰ মামনৰ গাত কৃষ্ণ হেনো লম্ভিলে..."

ওচৰৰ পিকনিক পাৰ্টীটোত গান বাজি আছে। বেছি ভাগ ছোৱালীয়েই, তিনিটা মানহে ল'ৰা। গানৰ তালে তালে নাচিও আছে সিহঁতে। দৃশ্যটো চাই বৰ ৰস পাইছিল সন্ধ্যাই। এৰা, কিমান দিন যে মন খুলি নচা নাই। সিহঁতলৈ চাই সন্ধ্যাই ক'লে,

"মোৰো নাচিবলৈ মন গৈছে।"

"সিহঁতৰ পূৰা নিচা। দেখিছা নাই বিয়েৰৰ বটল।"

অনুৰণে কওঁতেহে সন্ধ্যাই মন কৰিলে গাড়ীখনৰ কাষতে থকা বিয়েৰৰ বটলকেইটা। হঠাৎ এক বেলেগ অনুভৱ এটাই ক্ৰিয়া কৰিলে সন্ধ্যাৰ মনত। অলপ দুষ্টালি কৰিবলৈ মন গ'ল। ঘপকৈ তাই অনুৰণক সুধিলে,

"ইয়াত বিয়েৰ নাপাই নেকি কিনিবলৈ?"

অনুৰণে একো নভবাকৈয়ে ক'লে,

"আহোঁতে জুৰিটো পোৱাৰ আগতেই যে সৰু দোকান এখন পাইছিলোঁ, তাতে বেচে। ভালুকপুঙৰ টাউনৰ পৰা আনি বেচেহি।"

"লৈ আনিবা নি?"

সন্ধ্যাৰ কথাত চকু ডাঙৰ হৈ গ'ল অনুৰণৰ,

"কি? তুমি কৈছা? কিহে পাইছে ঐ ছোৱালী?"

তাৰ কথাৰ সুৰত হাঁহিত বাগৰি পৰিল সন্ধ্যা,

"আৰে নহয়। মই আজিলৈকে এইবোৰ খোৱাই নাই। এবাৰ টেষ্ট কৰিলে কেনে হয়?"

"নালাগে নালাগে। কোনো দৰকাৰ নাই।"

"কিয়? তুমিয়েতো কৈছিলা এইবোৰ খালেই মানুহ বেয়া হৈ নাযায়।"

অনুৰণে এইবাৰ খেৰোঁ গেৰোঁ কৰিলে। সন্ধ্যাই আকৌ ক'লে,

"যোৱা না, আনা গে। অলপ হে খাম। মন গৈছে অ' কিবা।"

এইটো বয়সত এইবোৰ তেনেই সাধাৰণ কথা। মন যায়েই। ইউনিভাৰ্চিটী আৰু হোষ্টেলে ৰক্ষণশীলতাৰ শিকলিডাল ছিঙাত বহুখিনি সহায়ো কৰে। সেইটো অনুৰণেও জানে। তথাপি সন্ধ্যাক নিচা খোওৱাৰ মন যেন নাছিল তাৰ। কিন্তু তাই নিজে খাওঁ বুলি কৈছে যেতিয়া উপায়তো নাই। তেও সি সুধিলে,

"এটা প্ৰমিজ কৰা।"

"কি?"

"যে এইবোৰ তুমি মোৰ বাহিৰে বেলেগৰ লগত নোখোৱা।"

"সেইটো আৰু ক'ব লাগে নেকি বুদ্ধু। এনেও নাখাওঁ বেলেগৰ লগত।"

Kaushik

হাঁহি মাৰি অনুৰণ উঠি গ'ল। অলপ পাছতে কিং ফিচাৰ বিয়েৰৰ কেন তিনিটা লৈ আনিলে।

প্ৰথম চিপটো মাৰি মুখ বিকটাই দিলে সন্ধ্যাই,

"ৱাক, এই সোপা কেনেকৈ খোৱা বাৰু তোমালোকে?"

"হ'ব। দিয়া বাদ দিয়া তুমি।" বুলি অনুৰণে সন্ধ্যাৰ হাতৰ পৰা কেনটো ল'বলৈ ধৰিছিল যদিও সন্ধ্যাই নিদিলে,

"ৰ'বাচোন। অলপ ট্ৰায় কৰোঁ।"

অলপ অলপকৈ কথাৰ মাজতে এটা কেন শেষ কৰি দিলে সন্ধ্যাই। প্ৰথম বাৰ খোৱাৰ বাবে নিচাত মূৰটো ৰিমঝিম কৰিছিল তাইৰ। ইয়াৰ পাছতে পিছৰ কেনটোও আধা খালে। লগে লগে এখন বেলেগ পৃথিৱীলৈহে যেন গুছি গৈছিল সন্ধ্যা।

"মই এতিয়া নাচিম।"

খালী কেনটো পানীলৈ দলিয়াই দি সন্ধ্যা থিয় হ'ল। অনুৰণে তাইক ধৰে মানে একে দৌৰে সন্ধ্যা আহি পিকনিক পাৰ্টীটোৰ ওচৰ পালেহি। পিছে পিছে দৌৰি আহিছে অনুৰণ,

"সন্ধ্যা, ৰ'বা ঐ। কি আচৰিত এই ছোৱালীজনী ভাই। ৰ'লানে তুমি।"

গানৰ তালে তালে সন্ধ্যা নাচিবলৈ লাগিল। পিকনিকৰ ছোৱালী কেইজনীয়েও ভালেই পালে। অচিনাকি হ'লেও সোমৰসকণ পৰাৰ পাছত এনেও সকলোৰে ভ্ৰাতৃত্ববোধ জাগিয়ে উঠে। সন্ধ্যাক মাজতে লৈ সিহঁতো নাচি আছিল। অনুৰণ আহি মূৰে কপালে হাত দিলে। নচাৰ মাজতে সন্ধ্যা আহি অনুৰণক টানি নিলেহি। বেচেৰাৰ লাজত অৱস্থাত নাই। তেও সন্ধ্যাই এবাৰ তাৰ ডিঙিত ধৰি ওলমি, এবাৰ হাতত টানি টানি তাৰ চাৰিওফালে ঘূৰি ঘূৰি নাচিবলৈ লাগিল। নীলাক্ষি নেওঁগৰ নতুন গান "বিহুকে নাচি দিং"টো বাজি আছিল,

"কেতিয়াবা মনে যায় তোকে কাষতে পাবলৈ

কেতিয়াবা মনে যায় তোৰে মুখনি চাবলৈ

আকৌ কেতিয়াবা মনে যায় মইনা সাৰটি ল'বলৈ চিকুটি চাবলৈ তোক"

Kaushik

গানৰ লগে লগে অনুৰণক সাৱটি ধৰি গালতে চিকুটি দিলে সন্ধ্যাই। লগে লগে গোটেই ল'ৰা ছোৱালী কেইটা উকি মাৰি হাঁহি উঠিল। অনুৰণৰ মুখখন লাজত ৰঙা পৰি গৈছিল। সন্ধ্যাৰ সেইবোৰলৈ ভ্ৰুক্ষেপ নাই, তাই নাচি গৈছে পিছৰ খিনিও,

"তই চাগে সাত ঘাটৰে চেঙেলী,

মই জান তোৰ প্ৰেমতে বাওলী,

একা বেঁকা কথা বুজিও নাপাং ভালো নাপাং মই

আমি গাঁৱলীয়া একোকে নাজানোং বিহুকে নাচিদিং

আমি গাঁৱলীয়া একোকে নুবুজোং বিহুকে নাচিদিং ঐ...."

নাচৰ পাকত মাজে মাজে পৰি যাবলৈ ধৰা সন্ধ্যাক থাপ মাৰি ধৰি লয় অনুৰণে। নাচি নাচি অচিনাকি দলটোৰ সৈতে মিলি পৰা সন্ধ্যালৈ চাই ৰৈছিল অনুৰণে। মেলা চুলি খিনি চঞ্চল হৈ উৰিছে তাইৰ। সঁচাই, কি আছে এই ছোৱালীজনীৰ। নিচা লাগিলেও অনুৰণে কেতিয়াও এনেকৈ অচিনাকি মানুহৰ লগত নাচিব নোৱাৰিলে হয়। কিন্তু সন্ধ্যাৰ যে এক মিনিটো নালাগে কাৰোবাক আপোন কৰিবলৈ। অন্তৰখন কিমান শুদ্ধ হ'লে কোনোবাই চকু মুদি সকলোকে আপোন কৰি ল'ব পাৰে সেয়া অনুৰণে সন্ধ্যাক চাই শিকিছে। পিকনিকৰ ল'ৰা ছোৱালীখিনিয়ে সিহঁত দুইটাকে খুব ভাল পাইছিল। অচিনাকি হৈও এইদৰে ফুৰ্তি কৰাহি বাবে। নাচ বাগ শেষ হোৱাৰ পাছত সিহঁতে অনুৰণহঁতৰ সিহঁতৰ লগতে ভাত খাবলৈও জোৰ কৰিলে। অনুৰণে আপত্তি কৰিছিল যদিও সিহঁতে নামানিলে। সিহঁতৰ মাজৰে ওখকৈ ল'ৰাটোৱে ক'লে,

"এটা কাম কৰক দাদা। আমি আপোনালোকৰ প্ৰাইভেট স্পেচত নোসোমাওঁ বাৰু। মই ভাতৰ কাঁহী দুখন দি দিছোঁ। আপোনালোকে লৈ যাব পাৰিব।"

"কেচ নাই, দি দিয়া। দাদাক সুধিব নালাগে। এই দাদাটো এনেও মষ্ট বৰিং।"

সন্ধ্যাৰ কথাত হাঁহি উঠিল গোটেইবোৰে। অনুৰণেও মুখ টিপি হাঁহিছিল। লগে লগে ছোৱালী এজনীয়ে সুধিলে,

"বৰিং যদিনো তুমি তেওঁৰ লগত কিয় আহিলা বা?"

সন্ধ্যাৰ লগে লগে উত্তৰ,

"আহিলোঁ আৰু। মোৰ বাহিৰে তেওঁৰ লগতনো কোনে টাইম ৱেষ্ট কৰিব!"

Kaushik

আকৌ হাঁহিৰ জোৱাৰত কঁপি উঠিছিল কামেঙৰ পাৰ।

অনুৰণে ল'ৰাটোক এখনতে দিবলৈ কৈছিল। সেইমতে সিও ডিচপজেবল কাঁহী এখনত ভাত আৰু মাংস দি পঠালে। লগত দুটুকুৰা নেমু আৰু পানীৰ বটল এটা। অনুৰণে সেইয়া আনি সিহঁতে আগতে বহি থকা ঠাইখিনি পালেহি। পিছে পিছে থৰক বৰক খোজেৰে সন্ধ্যা। অনুৰণ গাতে আওজি তাইও বহিল। অনুৰণে ভাতৰ থালখন আগবঢ়াই দি ক'লে,

"ভাত খোৱা।"

"ভোক নাই অ'।"

"একদম চুপ চাপ খোৱা। কি উৎপাত অথনি বাপ ৰে। নিচাৰ কোবত কি নাচ।"

সন্ধ্যাই হাঁহি উঠিল খিলখিলাই,

"কিমান দিনৰ মূৰত---"

অনুৰণে ভাত কেইটা নিজেই সানি এগৰাহ হাতত লৈ সন্ধ্যাৰ মুখৰ ফালে আগুৱাই দিলে। কিছু সময় তাৰ ফালে চাই থাকি সন্ধ্যাই মুখ মেলি অনুৰণৰ হাতৰ পৰাই ভাত গৰাহ খালে। তেনেকৈ ইগৰাহৰ পাছত সিগৰাহকৈ অনুৰণে ভাত খোৱাই গৈছিল সন্ধ্যাক। তাইও বাধ্য ছোৱালীৰ দৰে খাই গৈছে। আচলতে অনুৰণে ভাত ইয়ালৈকে লৈ অনাৰ মূল কাৰণ এইটোৱে। সন্ধ্যাক দেখিয়েই সি বুজিছিল যে এই ভাত নিজে নাখাই আজি। কিন্তু তাত সকলোৰে আগত ভাত খোৱাব হয়তো সি নোৱাৰিলে হয়। মাজে মাজে দুই এগৰাহ নিজেও খাইছিল অনুৰণে। কোনো এবাৰ সন্ধ্যাই "আৰু নাখাওঁ" বুলি ফেঁকুৰে। অনুৰণে লগে লগে "এইটোৱেই লাষ্ট" বুলি খোৱাই। অলপ পাছত খাই হোৱাত নিজৰ লগতে সন্ধ্যাকো মুখ ধোঁৱাই দিলে সি। পানী খাই কথা পাতি পাতি এসময়ত সন্ধ্যা শুই পৰিল অনুৰণৰ কোঁচতে। চকুত ৰ'দ পৰিব নোৱাৰাকৈ সি আঁৰ কৰি ধৰিছিল সন্ধ্যাৰ মুখত। তাইৰ মূৰটোত হাত বুলাই আছিল সি। বতাহৰ কোবত চকুত পৰা চুলিখিনি আলফুলে কাণৰ কাষলৈ থেলি দিছিল।

সিহঁতক সেইদৰে দেখি পিকনিকৰ ল'ৰা ছোৱালীখিনিয়েও কোৱা কুই কৰিছে,

"ইমান মৰম লাগিছে দুইটাকে। দে আৰ মেড ফৰ ইচ্চ আডাৰ।"

Kaushik

শুই থকা সন্ধ্যাৰ মৰমলগা মুখখনলৈ একেথৰে চাই ৰৈছিল অনুৰণে। কিমান প্ৰশান্তিত শুই আছে তাই। মুখত বিৰিঙি আছে এটি মৰমী হাঁহি। এই হাঁহিটোৰ গোটেই জীৱন দায়িত্ব ল'বলৈও সাজু আছে অনুৰণ। চকুৰ পলক নজপোৱাকৈ সি চাই ৰৈছিল সন্ধ্যাৰ মুখলৈ। সেইদিনা যেন কামেঙো সাক্ষী হৈছিল এটি অনন্য কাহিনীৰ।

প্ৰায় এক নে ডেৰ ঘন্টা মানৰ মূৰত সাৰ পালে সন্ধ্যাই। বিয়েৰৰ নিচা তেতিয়ালৈ নাই। চকু মেলিয়ে তাই নিজক আৱিস্কাৰ কৰিছিল অনুৰণৰ কোঁচত। লগে লগে উঠি বহিল তাই।

"ইচ, তোমাৰ কোঁচতে টোপনি গ'লো মই।তুমি জগাই দিব লাগিছিল।"

অনুৰণে হাঁহিলে মাত্ৰ।

"মূৰটো ইমান গধূৰ গধূৰ লাগিছে।" সন্ধ্যাই ক'লে।

"এইটো খাই লোৱা।"

কাটি থোৱা নেমু টুকুৰা আগবঢ়াই দিছিল অনুৰণে। নেমটুকুৰা খাই খাই সন্ধ্যাই কৈ গৈছে,

"মই কিবা বেছি পাগলামী কৰিলোঁ নেকি বাৰু?"

"নাই, নাই। একদম তপস্যা কৰি আছিলা তুমি।"

অনুৰণৰ উত্তৰত তাইৰো হাঁহি উঠিল,

"আজিয়েই লাষ্ট আৰু ভাই। আৰু নাখাওঁ। হৈ গ'ল টেষ্ট কৰা।"

অনুৰণে হাঁহি হাঁহি ক'লে,

"এতিয়া যাওঁ ব'লা। পাৰিবাতো যাব? বাইকত আকৌ টোপনি ধৰিব নি?"

"নধৰে। ব'লা।" বুলি সন্ধ্যা উঠি আহিল। অহাৰ আগে আগে এবাৰ কামেং খনলৈ চালে দুইটাই। এই কামেঙৰ পাৰতে যে সিহঁতে ৰাখি যাবলৈ ওলাইছে আজিৰ বিশেষ দিনটোৰ মধুৰ স্মৃতি।

"ৰণ" সন্ধ্যাই মাতিলে।

Kaushik

"কোৱা"

সন্ধ্যাই সাৱটি ধৰিছিল অনুৰণক। অনুৰণেও বুকুত আলফুলে সামৰি লৈছিল তাইক। বতাহজাকে কোবোৱা সন্ধ্যাৰ চঞ্চল চুলিয়ে স্পৰ্শ কৰিছিল অনুৰণৰ চকু, ওঁঠ।

"থেংক ইউ ৰণ। ইমান ধুনীয়া দিন এটা মোক দিয়াৰ বাবে। এতিয়াৰ পৰা চাবা, একোৱে মোক ভাঙিব নোৱাৰে।"

এটি প্ৰশান্তিৰ হাঁহিৰে অনুৰণে মাত্ৰ কৈছিল,

"মই আছোঁ সদায়।"

বাইকত উঠি ষ্টাৰ্ট দিলে অনুৰণে। সন্ধ্যাই বাইকত বহি শেষ বাৰলৈ কামেঙলৈ উভতি চালে। একেদৰেই বৈ আছে। নিলাজ কামেঙৰ বুকুত যেন খোদিত হৈ ৰৈছিল এটি নতুন কাহিনী। অনুৰণ আৰু সন্ধ্যাৰ।

সূৰ্যাস্তৰ ৰ'দে আৱৰিছিল ধৰণীৰ বুকুত। ৰ'দৰ মুকুতা বুকুত বান্ধি জলমলাই উঠিছে কামেঙৰ ঢৌ। আকাশত বাহলৈ উৰি যোৱা কোনোবা অচিন পখীৰ কলৰৱ। অনুৰণৰ বাইক চলিবলৈ লৈছিল। আবেলিৰ ৰ'দজাকৰ দৰেই তিৰবিৰাই উঠিছিল সন্ধ্যাৰ মনৰ আকাশখন। পিকনিকৰ পাৰ্টীটোৰ স্পীকাৰত বাজি আছিল জুবিনৰ "কাঞ্চনজংঘা"ৰ গীতটো,

"তুমি কপাহী কুঁৱলী ফালি

ৰ'দালাহি মোৰ মন

তুমি ৰূপালী জোনালী ৰাতি

সজালাহি যৌৱন

প্ৰীতিভৰা কবিতাৰে শিৰোনামা তুমি

আলসুৱা আদৰৰো পৰিসীমা তুমি..."

(আগলৈ)

#নিৰিবিলি

Kaushik

Part 111

"বাৰে বাৰে কৈ আছিলোঁ মই, কিন্তু নাই। তোৰ এইবোৰত কাণসাৰেই নাই। সন্ধ্যা বৰ ভাল, সন্ধ্যা এনেকুৱা নহয়। এতিয়া গম পালিতো? আৰু তাইক মূৰত উঠাবি--"

অথনিৰে পৰা অনৰ্গল কথা কৈ থকা জুৰিক মাজ ৰাস্তাতে চিঞৰি উঠিল অনুৰাধাই,

"চুপ থাক জুৰি। ফৰ গড শ্বেক প্লিজ চুপ থাক।"

"জুৰিয়ে তোমাৰ ভালৰ কাৰণে কৈছে অনুৰাধা। মোৰ মতে তুমি নিজে সন্ধ্যাৰ লগত কথা পাতা। সোধা তাইক যে তাই কিয় এইবোৰ কৰিছে।"

এইবাৰ প্ৰিয়াই ক'লে। অনুৰাধাই প্ৰিয়াৰ ফালে চাই ক'লে,

"থেংকচ ফৰ ইয়ৰ চাজেশ্যন প্ৰিয়া। বাট মই ইয়াত প্ৰতিযোগিতা কৰিবলৈ অহা নাই। আৰু অনুৰণক মই দহ বছৰ পাইছোঁ স্কুলত। তাক মোতকৈ ভালকৈ কোনেও বুজি নাপায়। ইমান সহজে সি কোনো ছোৱালীৰ প্ৰেমত নপৰে। কিন্তু অঁ, ফ্ৰেণ্ডশ্বিপৰ নামত জান দি দিব পাৰে সি।"

"হৈছে আৰু অন্নু। তুমি এইচব ভাবি থাকোঁতেই অনুৰণ হাতৰ পৰা যাব।"

সীমাৰ কথাত হাঁহি উঠিল গোটেই কেইজনীয়ে।

সোমবাৰৰ ৰাতিপুৱা। দুদিন জিৰণিৰ পাছত চাৰিওফালে ব্যস্ততা। কেম্পাছটোৱেও যেন এঙামুৰি দিছে। চাইকেলবোৰ দৌৰিছে। সোনকালে ক্লাছ পাবগৈ লাগে। মাজে মাজে দুই এখন প্ৰফেচাৰবোৰৰ গাড়ী। এমিনিটী essential খুলিছে মাত্ৰ। সদায় যোৱাৰ দৰেই কথা পাতি পাতি ক্লাছলৈ গৈ আছিল প্ৰিয়াহঁত। যাওঁতে আজিৰ গৰম খবৰ অনুৰণ আৰু সন্ধ্যাৰ বিষয়ে আলোচনা। জুৰিয়েই আগভাগ ল'লে। কালি সন্ধ্যাক অনুৰণে তেনেকৈ বাইকত নিয়াৰ পাছৰ পৰাই তাই খঙত জ্বলি আছে। সন্ধ্যাই এনেকুৱা কিয় কৰিছে! জানি বুজি নিজৰ লগৰ ছোৱালী এজনীৰ প্ৰেমত মূৰ সোমোৱাইছে। অনুৰাধাৰ সাধাৰণতে এনেবোৰ আলোচনা একেবাৰেই ভাল নালাগে যদিও উপায় নাপাই ভাগ ল'বলগীয়া হৈছে। তথাপি সন্ধ্যাৰ বিষয়ে সিহঁতে কোৱা কথা উপেক্ষা কৰিয়ে আহিছে তাই। বাটটোত আৰু কিবা কিবি কৈ গৈছিল জুৰিহঁতে। অনুৰাধাৰ সেইবোৰ কাণত নোসোমাল।

ক্লাছৰুমটোত সোমায়ে প্ৰিয়াহঁত অলপ আচৰিতেই হ'ল। খালী ৰুমটোত অকলে বহি আছে সন্ধ্যা। সোমবাৰৰ ফাৰ্ষ্ট ক্লাছটোত এনেও বেছি ষ্টুডেন্ট নহয়। উইকেণ্ডৰ হেং

Kaushik

অভ্যাৰ শেষ নোহোৱাৰ বাবে ৰাইজ আহি নাপায়হিয়েই ফাৰ্ষ্ট ক্লাছত। পিছে সন্ধ্যা ইমান পুৱাতে অহাৰ বাবে সিহঁত আচৰিত হৈছিল। তলমূৰকৈ কিবা কিতাপ এখন পঢ়ি আছিল তাই। জুৰিয়ে আগুৱাই গৈ মাত দিলে,

"ৰাতিপুৱাই আহিলি দেখোন।"

"অঁ, আজি সোনকালে সাৰ পালোঁ অ'। সেই কাৰণে।" সন্ধ্যাই হাঁহি মাৰি ক'লে। জুৰিয়ে ঠাট্টা সুৰত সুধিলে,

"অনুৰণ ক'ত, আহিবনে নাই আজি?"

সন্ধ্যাই স্বাভাৱিক ভাৱেৰেই ক'লে,

"গম নাপাওঁ। কথা পতা হোৱা নাই।"

"তোৰ আৰু কথা পতা নহ'বনে? বাইকৰ পিঠিত উঠি যি ঘূৰিছ আৰু! তোৰেই ভাল দে সন্ধ্যা। প্ৰথমে অভিমন্যু। এতিয়া অনুৰণ।"

সন্ধ্যাই বেঁকা হাঁহি এটা মাৰি ক'লে,

"কিয়, জ্বলিছ নি?"

জুৰিৰ খং উঠিছিল খুব সন্ধ্যাৰ কথা কোৱাৰ সুৰত। তাই খঙেৰেই ক'লে,

"আমাৰ এইবোৰ লেতেৰা স্বভাৱ নাই দেই। নালাগেও আমাক।"

সন্ধ্যাই এইবাৰ জোৰকৈ শব্দ কৰি হাঁহি থিয় হ'ল। হাঁহি হাঁহিয়ে জুৰিক ক'লে,

"মাছ খাবলৈ নাপালে বোন্দা মেকুৰীয়ে কাঁইট আছে বুলিয়ে সান্তনা লয়।"

জুৰিৰ মুখৰ মাত হৰিছিল সন্ধ্যাৰ এই ব্যৱহাৰত। হঠাৎ এইৰ কি হ'ল। জুৰিৰ লগতে অনুৰাধাহঁতেও আচৰিত হৈ সন্ধ্যালৈ চাইছিল। সন্ধ্যাই কিতাপখন সামৰি ক্লাছৰ বাহিৰলৈ ওলাল।

"সন্ধ্যা, শুনা।"

দুৱাৰমুখ পাওঁতেই অনুৰাধাৰ মাতত সন্ধ্যা ৰৈ গ'ল। অনুৰাধাই আগুৱাই গৈ তাইক সুধিলে,

"কালি ক'লৈ গৈছিলা অনুৰণৰ লগত?"

Kaushik

"কিয়, অনুৰণে কোৱা নাই?"

সন্ধ্যাৰ প্ৰশ্নত থতমত খালে অনুৰাধাই। সন্ধ্যাইতো সিহঁত সম্পৰ্কত থকা বুলি ভাবি আছে। তেনেস্থলত এই কথাটো নাজানে বুলি কোৱাটো ভুল হ'ব নে ভাল হ'ব অনুৰাধাই ঠিৰাং কৰিব নোৱাৰি থেৰোঁ গেৰোঁ কৰিলে,

"নহয় মানে, কৈছে মানে। মানে আচলতে--"

অনুৰাধাৰ কথাৰ মাজতে সন্ধ্যাই ক'লে,

"সি কোৱা নাই যদি মইয়ে কৈ দিছোঁ শুনা, আমি ভালুকপুং গৈছিলোঁ। কামেঙৰ পাৰলৈ। আচলতে কেইদিন মানৰ পৰা মই অলপ ডিষ্টাৰ্বড হৈ আছিলোঁ মেনটেলি। সেই কাৰণে সি অলপ উলিয়াই নিছিল।"

জুৰিহঁত আচৰিত হোৱাৰ বিপৰীতে অনুৰাধাই হাঁহি মাৰি ক'লে,

"মই জানিছিলোঁ। অনুৰণে ফ্ৰেণ্ডৰ কাৰণে জান দি দিব পাৰে। সন্ধ্যা, ইউ আৰ লাকী এনাফ যে অনুৰণৰ নিচিনা এজন বন্ধু পাইছা।"

অনুৰাধাই "বন্ধু" শব্দটোত জোৰ দি কোৱাটো সন্ধ্যাই ঠিকেই ধৰা পেলাইছিল। তাই সেমেকা হাঁহি এটা মাৰি আঁতৰি যোৱাৰ পাছত সীমাই অনুৰাধাক ক'লে,

"দেখিলা, অনুৰণে তাইক ভালুকপুং নিছে অকলে। আৰু তুমি কোৱা সিহঁতৰ মাজত একো নাই।"

"অঁতো। অনু, মোৰ মতে তাইক ভালকৈ এজাউৰি দিবহে লাগিছিল। কথা কোৱাৰ সুৰ দেখিছনে?"

জুৰিয়ে দাঁত কৰছি কৈছিল। অনুৰাধাই শান্ত হাঁহি এটাৰে তাইৰ বাহুত হাত থ'লে,

"কুল ডাউন বেবী। এনেকৈ খং কৰি সন্ধ্যাক একোডাল কৰিব নোৱাৰ।"

"তেন্তে, তুমি কি অনুৰণক এৰি দিবা মানে?"

প্ৰিয়াৰ কথাত অনুৰাধাই তাইৰ বিশেষ হাঁহিটোৰে ক'লে,

"গলিবলৈ আৰু গলাবলৈ চকুৰ পানীয়েই যথেষ্ট।"

Kaushik

প্ৰিয়া নাইবা জুৰি কোনেও না অনুৰাধাৰ কথাটো বুজি পাইছিল না তাইৰ হাঁহিটোৰ অৰ্থ।

বেগটোত গামোচা কেইখন ভৰাই থৰ খোজেৰে ৰুমৰ পৰা ওলাই আহিছে ময়ূঁৰ। আজি ইউনিভাৰ্চিটীলৈ "ৰত্নাকৰ"ৰ প্ৰমোচনৰ বাবে যতীন বৰা আৰু বৰষাৰাণী বিষয়া আহিব। তেওঁলোকৰ বাবেই এই গামোচাৰ আয়োজন। ডি এচ ডব্লিউ ছাৰে অফিচতেই তেওঁলোকক গামোচাৰে সম্ভাষণ জনোৱাৰ কথা। তাৰ পাছত কমিউনিটী হলত প্ৰমোচন। হিমাদ্ৰী আৰু ময়ূঁৰেই গোটেইখিনি এৰেঞ্জ কৰিছে। লগত কাউন্সিলৰ ল'ৰা দুই এজন। আজি ক্লাছৰ পৰা আহিয়ে ভাত খাই আজৰি হৈ হিমাদ্ৰীয়ে ময়ূঁৰক গামোচাবোৰ লৈ ডি এচ ডব্লিউ অফিচলৈ আহিবলৈ কৈছিল। সেই কথামতেই ময়ূঁৰ যাবলৈ ওলাইছে। পাটকাইৰ সমুখৰ ৰুমটো পাওঁতেই সিফালৰ পৰা ৰঞ্জনে চিঞৰিলে,

"ঐ ময়ূঁৰ, ৰচোন।"

ময়ূঁৰ ৰোৱাত ৰঞ্জন আৰু তাৰ লগৰ কোনোবা এটা সেইখিনি পালেহি।

"ক'ত যাঁৱ ইমান দৌৰা দৌৰিকৈ?" ৰঞ্জনে সুধিলে। সি ক'বলৈ নাপাওঁতেই তাৰ লগত থকাটোৱে ক'লে,

"আজি যতীন বৰাহঁত আহিব যে। তাৰে প্ৰিপেৰেচন চাগে ন?"

ময়ূঁৰে মূৰ দুপিয়ালে। ৰঞ্জনে ময়ূঁৰৰ বাহুত হাতখন থৈ সৰু মাতেৰে ময়ূঁৰক ক'লে,

"ঐ, তই এই কেইদিন বৰ মজা মাল এটাৰ লগত ঘূৰি আছ চোন। সেই যে মাচকমৰ ৰিচাৰ্চ স্কলাৰ। পতাই দে না বে।"

ৰঞ্জনৰ হাতখন আঁতৰাই ময়ূঁৰে খঙেৰে ক'লে,

"তাই আমাতকৈ ডাঙৰ হয়। এইবোৰ কথা ক'বলৈ লাজ নালাগে?"

ৰঞ্জনহঁতে হোঁ হোঁৱাই হাঁহি উঠিল,

"এনে যুধিস্থিৰ অ' সি। তই কি চাঞ্চ লৈ আছ আমিও জানো দে। ৰাতি ৰাতি SOE ফালে নি চাগে খুব---"

Kaushik

কথাটোৰ লগতে এটা অশ্লীল ইংগিত। কাণ মূৰ গৰম হৈ গৈছিল ময়ূঁৰৰ। হিমাদ্রীক সি নিজৰ বায়েকৰ দৰে ভাবে। তেনেস্থলত এইবোৰ কথা কেনেকৈ সহ্য কৰিব পাৰে। কি আচৰিত মানুহৰ মানসিকতা। এটা ল'ৰা আৰু এজনী ছোৱালী একেলগে থকাৰ অৰ্থ মানে অকল সেই অশ্লীলতাই নেকি!

"ঐ, তোৰ হৈ গ'লে মোকো দিবি না তাইক।"

ৰঞ্জনে আকৌ ক'লে। ধৈৰ্যৰ বান্ধ ছিঙি গৈছিল ময়ূঁৰৰ। খঙত ৰঞ্জনৰ ডিঙিত ধৰি গতা মাৰি পঠালে সি,

"মুখ চম্ভালি কথা ক'বি। নিজৰ মূৰটোত অকল লেতেৰা কথায়ে সোমাই আছে বুলি চব তেনেকুৱা নহয়তো।"

ময়ূঁৰৰ গতাটোৰ বাবে মুঠেও সাজু নাছিল ৰঞ্জন। ৱালখনত ধৰি সি ভাগ্যেহে নপৰাকৈ থাকিল। খঙত আগবাঢ়ি আহি ময়ূঁৰক ডিঙিত ধৰিলে সি,

"বেটা, বহুত মুখ চলে দেখোন তোৰ আজিকালি। কি হ'ল, এতিয়াও দিল্লীৰ পৰা ককায়েৰে আহি বচাবহি বুলি ভাবি আছ নেকি?"

ডিঙিৰ চেঁপাত ময়ূঁৰে মুখেৰে মাতিব নোৱাৰা হৈছিল। উশাহ ল'ব নোৱাৰি চটফটাইছিল সি। দুইটা হাতেৰে ৰঞ্জনৰ হাতখন ডিঙিৰ পৰা এৰুৱাবলৈ আপ্ৰাণ চেষ্টা চলাইছে যদিও সফল হ'ব পৰা নাই। মুখখন ৰঙা হৈ আহিছে তাৰ। এনেতে পিছ ফালৰ পৰা আহি ৰঞ্জনৰ দীঘল চুলি কোঁচাত ধৰি টান মাৰি আনি গালত এক প্ৰচণ্ড চৰ বহুৱাই দিলে অনুৰণে। অনুৰণৰ টান বহল হাতৰ আঘাত সহ্য কৰিব নোৱাৰি মজিয়াত কৰ্ফাল খাই পৰিল সি। লগে লগে তাক চাৰ্টত ধৰি উঠাই সিখন গালতো আৰু এটা চৰ শোধালে। ৰঞ্জনৰ গাল দুইখন ফৰফৰীয়া হৈ ৰঙা পৰি গৈছিল। তাৰ লগৰটো কোন সময়ত নোহোৱা হ'ল সিও গম নাপালে। ৰঞ্জনৰ কলাৰত ধৰি জোকাৰি দিছিল অনুৰণে,

"কাৰ গাত হাত দিছিলি তই? কি সাহসত হাত দিছিলি?"

ওখ পাখ, অলপ স্বাস্থ্যৱান আৰু কমকৈ কথা কৈ এটা মুডত থাকে বাবে অনুৰণক এনেও হোষ্টেলৰ ল'ৰাবোৰে অলপ সমীহ কৰি চলে। তাৰ এইটো ৰূপত ৰঞ্জনৰ মুখৰ মাত হৰিল।

"ছৰী, ছৰী অনুৰণ। মই এনেই ধেমালি কৰিছিলোঁ মানে।"

Kaushik

ৰঞ্জনে কওঁ নকওঁকৈ ক'লে। অনুৰণে আঙুলি টোঁৱাই গহীন মাতেৰে কৈছিল,

"নেক্সট টাইম যদি ময়ূঁৰৰ লগত এইবোৰ ধেমালি দেখিলোঁ। কথা বেয়া হ'ব।"

ৰঞ্জন খৰ খোজেৰে আঁতৰিল তাৰ পৰা।

ৱালখনত লাগি থৰ হৈ ৰৈ আছিল ময়ূঁৰ। অনুৰণ গৈ তাক সাৰটি ধৰিলে,

"একো নাই ময়ূঁৰ। মই আছোঁ নহয়।"

ময়ূঁৰৰ চকুপানী ওলাইছিল। অনুৰণে তাক সমুখৰ ৰুমটোত থকা চোফাখনতে বহুৱাই দিলে। কেন্টিনৰ পৰা পানী অকণ আনিও খোৱাই দিলে।

"অভি-- অভি---"

পানী কণ খাই অস্পষ্ট মাতেৰে ময়ূঁৰে অভিমন্যুৰ নাম লৈ আছিল।

"কথা পাতিবা অভিমন্যুৰ লগত?" অনুৰণে সুধিলে। ময়ূঁৰে মূৰ দুপিওৱাত অনুৰণে ময়ূঁৰৰ ফোনৰ পৰাই অভিমন্যুলৈ ফোন লগালে। দুবাৰ ৰিং হোৱাত ৰিচিভ কৰিলে,

"ময়ূঁৰ, মই ড্ৰামা এখনৰ প্ৰেকটিছত আছোঁ। তোলৈ ৰাতি ফোন কৰি আছোঁ হা।"

কথাটো কৈয়ে ফোনটো কাটি দিলে সি। লগে লগে ফেঁকুৰি উঠিল ময়ূঁৰে। অনুৰণে তাৰ মূৰত হাত ফুৰাই ক'লে,

"নাকান্দিবা ময়ূঁৰ। NSDৰ কোৰ্চ বহুত হেকটিক। সেইবাবে ব্যস্ত আছে অভিমন্যু। মই আছোঁ নহয় তোমাৰ লগত। আজি আবেলি আইচক্ৰীম খাই ভিডিঅ' কল কৰিম অভিমন্যুলৈ। জ্বলাম তাক।"

অনুৰণৰ কথাত ময়ূঁৰে মিচিকিয়াইছিল। অলপ সময় ময়ূঁৰৰ মন ভাল লগাবলৈ অনুৰণে কথা পাতিয়ে কটালে। বাহিৰত লাহে লাহে এন্ধাৰ হৈছিল। কমিউনিটী হলৰ পৰা গানৰ শব্দ আৰু মানুহৰ চিঞৰ ভাহি আহিছে। হলটো পাটকাইৰ সমুখতে আছে বাবে ভাল। চিঞৰতেই গম পোৱা যায় আৰম্ভ হ'ল নে হ'ব হে! গাঁৱৰ নামঘৰত ৰাস নহ'লে ভাওনা থাকিলে যে নামঘৰটোৰ ওচৰৰ মানুহ কেইঘৰৰ দায়িত্ব পৰে দূৰৰ চিনাকি কেইঘৰক সূত্ৰধাৰ ওলালে খবৰটো দিব লাগে, তেনেকৈয়ে কেতিয়াবা কমিউনিটী হলত কিবা প্ৰগ্ৰেম থাকিলে আঁতৰৰ হোষ্টেল কেইখনৰ পৰা চিনাকিবোৰৰ ফোন আহেই,

Kaushik

"ঐ, ষ্টাৰ্ট হ'ল নেকি?"

এনেবোৰ ফোন গাৰ্লচ হোষ্টেলৰ পৰাই বেছি আহে। ষ্টাৰ্ট হোৱাৰ লগে লগে খবৰ দিয়াটো আমাৰ পাটকাইৰ সৈনিকসকলৰ যেন অলিখিত দায়িত্ব।

কমিউনিটী হলৰ হুলস্থূল শুনি অনুৰণে ময়ূঁৰক হাতত ধৰি উঠাই দিলে,

"এতিয়া ব'লা। হিমাদ্ৰী বা ৰৈ আছে চাগে।"

ময়ূঁৰ উঠিল। অনুৰণৰ লগতে আগবাঢ়িল ষ্টুডেণ্ট এক্টিভিটী চেণ্টাৰলৈ।

"প্ৰতিটো সময়ত তুমিয়ে চিনাকি

দুভৰি দুহাতত তুমিয়ে সহাঁৰি

সুখৰো দুখৰো তুমিয়ে লগৰী

সুবাসী দুচকুৰ তুমিয়ে তৰালী

ফুটুকী হৰিণী তুমিয়ে ধেমালি

তোমাতে পালোঁ আকাশৰ সাঁথৰ

এটা কথা কোৱা না......."

কমিউনিটী হলটো পাৰ হওঁতে চাউণ্ড বক্সত ফুল ভলিউমত লগাই থকা গানটো কাণত পৰিলহি ময়ূঁৰ আৰু অনুৰণৰ। অনুৰণৰ হাতখন তেতিয়াও ময়ূঁৰৰ বাহুত। সি এবাৰ অনুৰণলৈ চালে। গানটোৰ কথাখিনিয়ে যেন সিহঁতৰ কথাই কৈছে। সঁচাই, অভিমন্যু যোৱাৰ পৰাই ময়ূঁৰৰ প্ৰতিটো সময়ৰ সহাঁৰি অনুৰণেই। মাজতে তাৰ বেমাৰ হওঁতেও অনুৰণ গোটেই ৰাতি সাৰে আছিল। অভিৰ ঠাই পূৰাব নোৱাৰিলেও তাৰ অভাৱ কিন্তু অনুৰণে ভালকৈয়ে পূৰাইছে।

"মানুহ হৈছে কিন্তু বহুত দেই"

হলটোৰ ফালে চাই অনুৰণে ক'লে। ময়ূঁৰেও "উমম" বুলি মূৰ দুপিয়ালে। বেচেৰী হিমাদ্ৰী বায়ে বৰ ভয় খাই মানুহ নহ'বই নেকি বুলি। এনেও আমাৰ তেজপুৰৰ ৰাইজ চিনেমা লৈ সিমান ইন্টাৰেষ্টেড নহয়। তাতে মিড টাৰ্মৰ ভৰপক। কাৰো ৰ'বলৈ সময়

নাই। তেনেস্থলত ষ্টুডেন্ট আহিবনে নাই সেইটোও এটা ডাঙৰ প্ৰশ্ন। হিমাদ্ৰীয়ে কালি ৰাতিও ময়ূঁৰলৈ ফোন কৰি সুধিছে,

"ঐ, মানুহ হ'বতো ন? নহ'লে যে মান সন্মান চব যাব কিন্তু।"

ময়ূঁৰে তাইক বুজোৱাৰ দৰেই মানুহ ভৰ্তি হৈছেহি। বাৰু হওঁক। অনুষ্ঠানটো গ'লেই হ'ল ভালকৈ।

"ইমান দেৰি কৰিলা যে, হিমাদ্ৰী বা অথনিৰে পৰা ৰৈ আছে অফিচতে। জল্দি যোৱা।"

ষ্টুডেন্ট এক্টিভিটী চেন্টাৰৰ সমুখ পাওঁতেই কাঞ্চন জোপাৰ তলত ৰৈ থকা সন্ধ্যাই ময়ূঁৰহঁতক ক'লে। ময়ূঁৰ লৰালৰিকৈ ভিতৰলৈ সোমাই গ'ল। অনুৰণ বাহিৰতে ৰ'ল সন্ধ্যাৰ লগত।

"অলপ সোনকালে আহিব নোৱাৰা নে কি?"

ময়ূঁৰ ভিতৰলৈ যোৱাৰ পাছত সন্ধ্যাই অনুৰণলৈ চাই সুধিলে। ৰাস্তাৰ ফালে চাই অনুৰণে লাহেকৈ ক'লে,

"আমাৰ বহুত কাম থাকেতো।"

"ইচ, থোৱা হে তোমাৰ কাম। জনা আছে।"

"কি জনা আছে বা?"

হঠাৎ কিবা এটা মনত পৰাৰ দৰে সন্ধ্যাই সুধিলে,

"ঐ, শুনা না। আমি ভালুকপুং যোৱাৰ কথা তুমি অনুৰাধাৰ আগত কোৱা নাই নেকি?"

"অনুৰাধা মানে?" অনুৰণে যেন নামটো প্ৰথম শুনিছে। সন্ধ্যাৰ খঙেই উঠিল,

"কি আকৌ অনুৰাধা মানে! অনুৰাধাক চিনি নোপোৱা হ'লা নে কি এতিয়া তুমি?"

"আমাৰ ক্লাছৰ অনুৰাধা?"

সন্ধ্যাই হাতদুখন জোৰ কৰি সমুখলৈ আনি ক'লে,

"হয় প্ৰভু। সেইজনী অনুৰাধাৰ কথাই কৈছোঁ।"

Kaushik

অনুৰণে হাঁহি উঠিল,

"তাইক কেলৈ ক'ব লাগে আকৌ?"

সন্ধ্যা আচৰিত হৈছিল। কেনেকুৰা বয়ফ্ৰেণ্ড এইটো! বেলেগ ছোৱালীৰ লগত ফুৰিবলৈ যাব আৰু নিজৰ গাৰ্লফ্ৰেণ্ডজনীক কথাটোও নজনাব। তাই খঙেৰেই ক'লে,

"কিয় নক'বা আকৌ? তাইতো জানিব লাগিব ন তুমি ক'ত গৈছা?"

অনুৰণে কিবা অদ্ভুত বস্তু চোৱাৰ দৰে চালে সন্ধ্যালৈ। তাই কি কৈ আছে সি যেন একো বুজি পোৱা নাই। কি যুক্তিত অনুৰাধাই সি ক'লৈ যায় জানিব লাগিব সি কল্পনায়ে কৰিব পৰা নাই।

"কি কৈ আছা সন্ধ্যা?"

অনুৰণৰ প্ৰশ্নত সন্ধ্যাই মাতটো ডাঙৰ কৰি ক'লে,

"হাৰে, তোমালোক দুটাতো--"

"ঐ সন্ধ্যা, আহি পালাই তুমি। মোৰ দেৰি হ'ল জানা নে!"

সন্ধ্যাৰ কথাটো কৈ নহওঁতেই লৰালৰিকৈ চন্দ্ৰালী আহি মাতিলেহি। সন্ধ্যাই ঘূৰি চালে,

"অঁ চন্দ্ৰা বা। আহা আহা। দেৰি হোৱা নাই। তেওঁলোক পোৱাহিয়ে নাই নহয়।"

"ব'লা ভিতৰতে বহোঁগে। অনুৰণ, আহা তুমিও।"

চন্দ্ৰালীয়ে ষ্টুডেণ্ট এক্টিভিটী চেণ্টাৰৰ ভিতৰলৈ মাতিলে সন্ধ্যা আৰু অনুৰণক। অনুৰণে একো ক'বলৈ নাপাওঁতেই সন্ধ্যাই ক'লে,

"আমি যাওঁ ব'লা বা। তেওঁৰ বেলেগ মানুহ আহিব।"

কথাটো কৈয়ে অনুৰণৰ ফালে হাঁহি এটা মাৰি সন্ধ্যা ভিতৰলৈ সোমাই গ'ল। পিছে পিছে চন্দ্ৰালীও। অনুৰণে চাই ৰৈছিল আচৰিত। কিবা সাঁথৰ যেন লাগিছে আজি সন্ধ্যাৰ কথা। সিহঁতৰ কথা অনুৰাধাক কিয় ক'ব লাগিব সি একো বুজি নাপালে। লাহে লাহে অনুৰণ আগবাঢ়িল কমিউনিটী হলৰ ফালে।

Kaushik

অলপ পাছতে ক'লা গাড়ী এখন ৰ'লহি ষ্টুডেন্ট এক্টিভিটী চেন্টাৰৰ সমুখত। লগে লগে দৌৰা দৌৰি লাগিছিল ল'ৰা ছোৱালীবোৰৰ। একেবাৰে আগত ময়ূঁৰ আৰু হিমাদ্ৰী। গাড়ীৰ পৰা নামিছিল অভিনেত্ৰী বৰষাৰাণী বিষয়া আৰু অভিনেতা যতীন বৰা লগত তেখেতৰ পত্নী।

"হেই ডাৰ্লিং, কি খবৰ?"

বৰষা বাই তেওঁৰ স্বভাৱসুলভ হাঁহিটোৰে হিমাদ্ৰীক সাৱটি ধৰিছিল। হিমাদ্ৰীহঁতে তেওঁলোকক লৈ গৈছিল ষ্টুডেন্ট এক্টিভিটী চেন্টাৰৰ ভিতৰত থকা ডি এচ ডব্লিউ ছাৰৰ অফিচলৈ। তাতেই ছাৰে তেওঁলোকক সম্ভাষণ জনাইছিল একোখনকৈ গামোচাৰে। হিমাদ্ৰীয়ে ময়ূঁৰ, চন্দ্ৰালী আৰু সন্ধ্যাক চিনাকি কৰাই দিছিল। অফিচ ৰুমটো ভৰি উঠিছিল ষ্টুডেন্টেৰে। ইজনে সিজনে গৈ ফটো উঠিবলৈ লৈছিল।

"তোমাৰ নামটো কি আছিল, হিমাদ্ৰীৰ ভন্টি বুলি কৈছিল যে?"

মাজতে বৰষা বাই সন্ধ্যাক সুধিলে।

"সন্ধ্যা ৰাগিণী বৰুৱা।" সন্ধ্যাই লাজ লাজকৈ কৈছিল।

"তোমাৰ নিচিনাই নামটোও বৰ ধুনীয়া দেই।"

বৰষাৰ কথাত চন্দ্ৰালীয়ে চিকুটি দিছিল সন্ধ্যাক। তেওঁলোকক তাতে এৰি হিমাদ্ৰী আৰু ময়ূঁৰে কমিউনিটী হলৰ সকলো আয়োজন শেষ হ'ল নে নাই তাৰ বিচাৰ লৈছিল।

"হিমাদ্ৰী, শুনাচোন। আমাকো ফটো এখন উঠিবলৈ সুযোগ দিবা না যতীন দাহঁতৰ লগত।"

ছোৱালী এজনীৰ কথাত হিমাদ্ৰী আৰু ময়ূঁৰে ইটোৱে সিটোৰ মুখলৈ চাইছিল। কাৰণ এই ছোৱালী জনীয়েই সেইদিনা শ্বপিং কম্প্লেক্সত হিমাদ্ৰীক ঠাট্টা কৰিছিল ৰত্নাকৰৰ প্ৰমোচনৰ কামত লাগোঁতে। এই এচাম মানুহ এনেকুৱাই। য'তেই সুবিধা পাই তাতেই ৰং সলাই দিব পাৰে। তথাপি হিমাদ্ৰীয়ে "হ'ব" বুলি কৈ থ'লে।

কিছু সময়ৰ পাছত প্ৰমোচন আৰম্ভ হ'ল। ষ্টেজত হিমাদ্ৰীয়ে ঘোষণা কৰাৰ পাছতে যতীন বৰাই ৰত্নাকৰৰ ডাইলগেৰে চিনেমাখনৰ কথা কৈ সকলোকে চাবলৈ অনুৰোধ জনালে। তাৰ পাছতে বৰষাৰাণীয়েও কিছু কথা কৈছিল,

Kaushik

"অসমৰ আটাইতকৈ চোকা ল'ৰা ছোৱালীখিনিয়েই তেজপুৰ ইউনিভাৰ্চিটীত পঢ়ে। গতিকে মোৰ সঁচাকৈ ভয় লাগে তোমালোকলৈ। জিনিয়াচ হয় তোমালোক।"

লগে লগে কমিউনিটী হল কঁপি যোৱাকৈ চিঞৰ ভাহিছিল দৰ্শকৰ পৰা।

মাজতে ৰাতি ৰাতি গানটোত এবাৰ নাচিও দেখুৱালে যতীন আৰু বৰষাই। অনুষ্ঠানৰ শেষত ময়ূঁৰে যতীন বৰা আৰু বৰষাৰাণীৰ বাবে লিখা দুটি কবিতা পাঠ কৰি দিছিল হিমাদ্ৰীয়ে,

"আমাৰ মাজত অসমীয়া চিনেমাৰ এজন অতন্দ্ৰ প্ৰহৰী আছে, যি অসমীয়া চিনেমাক প্ৰাণভৰি ভাল পায়। তেওঁ আমাৰ ময়ূঁৰ কৃষ্ণ বৰুৱা। ময়ূঁৰে লিখা দুটা কবিতা পাঠ কৰিবলৈ লৈছোঁ। প্ৰথমে যতীন দাৰ বাবে লিখিছে,

জীৱন নদীৰ দুটি পাৰত নায়কৰ দৰে হিয়া দিয়া নিয়া কৰিলেও অভিনয়ৰ বাৰুদ তেওঁ। নিজানৰ গানত ৰামধেনুৰ ৰং ছটিওৱা অসমীয়া ছবিৰ অন্য এক যাত্ৰাৰ অধিনায়ক তেওঁ। জিলমিল জোনাকৰ মিঠা মিঠা লগনত সদায় যি ধ্ৰুৱতৰা, তেৱেঁ আমাৰ হৃদয় কঁপোৱা গান যতীন বৰা।"

লগে লগেই আকৌ চিঞৰ। চিনেমাৰ নামবোৰেৰে খেলি ৰচনা কৰা ময়ূঁৰৰ কবিতাটোৰ প্ৰশংসা কৰিছিল সকলোৱে। হিমাদ্ৰীয়ে কৈ গৈছে,

"এইবাৰ বৰষা বালৈ লিখিছে,

জোনবাইৰ দৰে তেওঁ বুকুৰ মাজত জ্বলে, থিয়েটাৰৰ মঞ্চত যি ৰাধা হৈ হাঁহে,

বিহু নাচি ভালপোৱা মামণিজনী,

বিধাতাৰ ফুলনিত যেন কাঞ্চন হৈ ফুলে।"

চিঞৰবোৰৰ মাজতে ফুৰ্তিত বৰষা বাই সাৱটি ধৰিছিল ময়ূঁৰক।

এইদৰেই সামৰণি পৰিছিল অনুষ্ঠানটোৰ। বৰষা যতীনহঁতেও বিদায় লৈ গাড়ীত উঠিলছিলগৈ। সকলো মানুহ গৈ কমিউনিটী হলটো শান্ত হৈ পৰাৰ পাছত হিমাদ্ৰীয়ে ময়ূঁৰৰ ওচৰত উচুপি উঠিছিল,

"এই প্ৰগ্ৰামটোৰ বাবে তই যিখিনি চাপোৰ্ট মোক দিলি, বেলেগ কোনেও দিয়া নাছিল ময়ূঁৰ।"

Kaushik

"তেনেকৈ কিয় কৈছা বা? মই তোমাৰ ভাইটিৰ নিচিনা নহয় জানো!"

"ভাইটিৰ নিচিনা নহয়। তই মোৰ ভাইটিয়েই আজিৰ পৰা। মোক তই বুলি মাতিবি। কোনো ভায়েকে বায়েকক তুমি বুলি নামাতে।"

ময়ূঁৰৰ চকু ভৰি আহিছিল। হিমাদ্ৰীয়েতো নাজানে, বা ভন্টি ভাইটি দাদা আদি সম্বন্ধবোৰ ময়ূঁৰৰ জীৱনত কিমান মূল্যৱান।

"হ'ব দে। এতিয়া ব'ল। বাহিৰত ডিনাৰ কৰিম আজি।"

ময়ূঁৰৰ কথামতেই তাৰ লগত কেফেটেৰিয়ালৈ আগবাঢ়িল হিমাদ্ৰী। এইয়াই ইউনিভাৰ্চিটী। তেজতকৈও অধিক প্ৰগাঢ় সম্পৰ্কবোৰৰ জন্মভূমি বাবেই ই আন একোৰে তুলনা নহয়। জীৱনৰ আটাইতকৈ মধুৰতম সময় ইউনিভাৰ্চিটীৰ জীৱন।

সময় পাৰ হৈছে। মিড টাৰ্ম ওচৰ চাপিচেহি। সকলো পঢ়াৰ মাজত ব্যস্ত। সন্ধ্যা আগতকৈ বহু খিনি সুস্থিৰ। মাজতে তাইৰ পৰীক্ষাও বেয়া হ'বলৈ লৈছিল। আজিকালি তাই নিজে অনুৰণৰ কাষলৈ নাযায়। মাত্ৰ সি যেতিয়া নিজে তাইৰ লগত কথা পাতিব খোজে। তেতিয়া তাই থাকে। জুৰিহঁতেও আজিকালি একো নোকোৱা হ'ল। সন্ধ্যাৰ পৰা দুই তিনিবাৰ প্ৰত্যুৎত্তৰ পোৱাৰ পাছত সীমা আৰু পৰীও নিশ্চুপ। সন্ধ্যাৰ মাকৰ অৱস্থাও আগতকৈ বহুখিনি ভাল। লাহে লাহে মিড টাৰ্মৰ বাবেই ব্যস্ত হৈ আছে সিহঁত।

সেইদিনা বাহিৰৰ পৰা অকলে আহি আছিল সন্ধ্যা বয়জ হোষ্টেল কেইখনৰ আগেৰে। এনেতে নীলাচলৰ পুলটোতে অনুৰাধাক বহি থকা দেখিলে। এই পুলটো কাঞ্চনজংঘাটোৰ দৰে এন্ধাৰ নহয়। সমুখতে ষ্ট্ৰীট লাইটটো আছে বাবে গোটেই ঠাইখিনি পোহৰ। ফিল্ডত খেলি থকা ল'ৰাজাকৰ অস্পষ্ট কোঁহাল ভাঁহি আহিছে। লাইটৰ পোহৰত সেউজীয়া চাদৰৰ দৰে হৈ পৰিছে ফিল্ডখন। অনুৰাধাক পোহৰতে স্পষ্টকৈ দেখা পাইছিল সন্ধ্যাই,

"ঐ অনুৰাধা। কি কৰিছা? অকলে অকলে যে?"

অনুৰাধা সাধাৰণতে অকলে নাথাকে। লগত হয় জুৰি নহ'লে সীমা। আজি অকলে দেখি সন্ধ্যা অলপ আচৰিতেই হ'ল।

"নাই, এনেই। আহা বহাহি।"

Kaushik

অনুৰাধাই চকুটো মোহাৰিলে। তাইৰ কাষত বহি সন্ধ্যাই মন কৰিলে অনুৰাধাৰ চকুত যেন চকুপানী।

"তুমি কান্দি আছিলা অনুৰাধা? কি হৈছে কোৱাচোন।" সন্ধ্যাই মৰমেৰে সুধিলে।

"নাই নাই। একো নাই।"

"কিবা এটাতো হৈছে। অনুৰণে কিবা ক'লে নেকি?"

অনুৰণৰ নাম ওলোৱাত অনুৰাধা যেন আকৌ নিশ্চুপ হৈ গ'ল। সন্ধ্যাই আকৌ সুধিলে,

"প্লিজ কোৱা।"

অনুৰাধাই ফেঁকুৰি উঠিল,

"অনুৰণ কিয় এনেকুৱা সন্ধ্যা। মই যে ভাল পাওঁ তাক। কিন্তু তাৰ এইবোৰত একো গুৰুত্বই নাই। ভালকৈ কথাও নাপাতে। আজি ওলাই যাবা নেকি বুলি সুধিলোঁ। নাই, নাযায়।"

সন্ধ্যাই বুজি পোৱা নাই, অনুৰণে এইবোৰ কৰিছে কিয়! সিতো নিজেই সন্ধ্যাক কৈছিল যে অনুৰাধাৰ লগত তাৰ কিবা আছে, তেন্তে এইদৰে অৱহেলা কৰিছে কিয়! সন্ধ্যাই যিমান দূৰলৈকে জানে কাৰোবাক আৱেগ নাইবা অনুভূতিক আঘাত কৰাৰ দৰে কাম অনুৰণে কেতিয়াও নকৰে। তেন্তে যিজনী ছোৱালীৰ লগত সি প্ৰেমৰ সম্পৰ্কত আছে, তাইৰ লগত কিয় এই অৱজ্ঞা!

"সন্ধ্যা, তুমিতো তাৰ বহু ভাল বান্ধৱী। প্লিজ তাক অলপ বুজাবা না।" অনুৰাধাই সন্ধ্যাৰ হাতত ধৰি ক'লে। বুকুৰ বিষটোৱে উক দিছিল সন্ধ্যাৰ। সঁচাই, নিজৰ প্ৰিয়জনক আনৰ হাতত সঁপি দিয়াৰ কষ্ট পোৱাজনেহে জানে ইয়াৰ ঘাঁ কিমান গভীৰ। এৰা, কিছুমান ঘাঁ সময়ৰ লগে লগে শুকাই নাযায়। বৰঞ্চ বেছি গভীৰহে হৈ যায়।

সন্ধ্যাই অনুৰাধাক মৰম কৰি ক'লে,

"তুমি চিন্তা নকৰিবা। মই বুজাম অনুৰণক।"

অনুৰাধাই সাৱটি ধৰিছিল সন্ধ্যাক পৰম সন্তোষ্টিৰে।

"তেন্তে অহা শনিবাৰে ৰত্নাকৰ চাবলৈ যোৱাটো ফাইনেল।"

Kaushik

প্ৰিয়াৰ কথাত গোটেইবোৰে একমুখে চিঞৰিলে,

"য়েচচচ"

মিডটাৰ্ম শেষ কৰিয়ে সিহঁত কেইটা মানে প্লেন বনালে যে একেলগে চিনেমা চাবলৈ যাব। অনুৰাধাই জোৰ কৰি সন্ধ্যাকো লৈ আহিছে। জুৰি, নিমিষা, প্ৰিয়া, সীমা, পৰী, অনুৰাধা আৰু সন্ধ্যা। আনহাতে ল'ৰা অনুৰণ, ৰাজদ্বীপ, বিনোদ, বিশ্বজিত, আৰিফ, প্ৰাঞ্জল আৰু মানস। অনুৰণে ময়ূঁৰকো কৈছিল যদিও সি হেনো নাযায়। অনুৰণেও বৰ বিশেষ জোৰ নকৰিলে। এনেও বেছি ভিৰত থাকিবলৈ ময়ূঁৰে পচন্দ নকৰে। বাকী সকলোৱে ঠিক কৰিলে যে শনিবাৰে আবেলি তিনি বজাৰ শ্বো টো চাবলৈ যাব সিহঁত। বাছ নালাগে, টেম্পুতে যোৱাটো ঠিক হ'ল।

"অনুৰণে বাইকখন লৈ ল'বি আৰু। কোনোবা যাবও পাৰিব।"

জুৰিৰ কথাত সন্ধ্যা আৰু অনুৰণে ইটোৱে সিটোলৈ চাই হঁহাটো আনে ধৰিব নোৱাৰিলেও অনুৰাধাই ঠিকেই ধৰিব পাৰিছিল। অলপ সময় কথা পাতি সকলো নিজৰ নিজৰ হোষ্টেল পালেগৈ।

শনিবাৰৰ আগদিনা ৰাতি শুবলৈ লওঁতে সন্ধ্যাৰ হোৱাটছ এপত অনুৰণৰ মেছেজ জিলিকি উঠিল,

"Oi suali, xula ni?"

সেই ফাৰ্ষ্ট ছেমিষ্টাৰৰ পৰাই অনুৰণৰ মেছেজৰ লগত অহা হাঁহিবোৰ ফাঁকুৰ দৰে গালে মুখে বিয়পি পৰে সন্ধ্যাৰ। তাইও লগে লগে উত্তৰ দিলে,

"Nai xua o lora"

লগে লগে অনুৰণে ফোন কৰিলে। আজিকালি সি মেচেজতকৈ ফোনেই বেছিকৈ কৰে। আগতকৈ বহুখিনি লাজ কমিল তাৰ। প্ৰথম তিনিটা মান ছেম যে অকল মেচেজেই চলিছিল। ফোনটো ধৰিয়ে সন্ধ্যাই ক'লে,

"ৱাহ, আজিকালি চিধাই ফোনহে মাৰে। আগতে কি লাজ ল'ৰাৰ।"

"এৰা, তোমাৰ লগত থাকি থাকি নিলাজ হৈ গ'লো।"

সন্ধ্যাৰ হাঁহি উঠিল,

"হ'ব। কি হ'ল কোৱা এতিয়া।"

Kaushik

"কাইলৈ যাবাতো?"

"অঁ আকৌ। কিয় নাযাম?"

"কিহত যাবা?"

"টেম্পুত।"

"মই বাইক নিমতো।"

"মই কি কৰিব লাগে তুমি বাইক নিয়া?"

সন্ধ্যাই ইচ্ছা কৰিয়ে তেনেকৈ উত্তৰ দিছিল। আচলতে তাই চাব বিচাৰিছে অনুৰণেনো তাইক বাইকত যাবলৈ লগ কেনেকৈ ধৰে।

"নহয় মানে, টেম্পুত যোৱাতকৈ বাইকতে--"

অনুৰণ ৰৈ যোৱাত সন্ধ্যাই মুখৰ হাঁহিটো জোৰেৰে টিপি সুধিলে,

"বাইকতে কি?"

"নহয় মানে, যাব পাৰা আৰু।"

সন্ধ্যাই এইবাৰ জোৰকৈ হাঁহি দিলে,

"তুমি এনেকুৱা কিয় কোৱা চোন। অলপ আগত নিলাজ বুলি কৈছিলা হে। নাই, একেই আছা তুমি। কথা এটা ক'বলৈও ইমান লাজ। তাকো মোলৈ। মইতো বেলেগ ছোৱালী নহয়।"

অনুৰণে সন্ধ্যাই নুবুজাকৈ মুখৰ ভিতৰতে ক'লে,

"তুমি কাৰণেইতো বেছি লাজ লাগে।"

"হা? কি কৈছা?"

"নাই। যাবাতো বাইকত?"

সন্ধ্যাই কেই মূহুৰ্তমান চিন্তা কৰি ক'লে,

"ঠিক আছে যাম।"

Kaushik

অনুৰণৰ মনৰ ফুৰ্তি ফোনৰ সিপাৰে থকা সন্ধ্যাও বুজি পাইছিল। ফোনটো থৈ তাই বিচনাত পৰিল।

মানুহ সৰহ বাবে টেম্পু দুখনেই ঠিক কৰিছে ৰাজদ্বীপহঁতে। সি এইবোৰ মেনেজ কৰাত ভাল। লাহে লাহে চব এটা এটাকৈ আহি পালেহি টেম্পুত। অনুৰণেও বাইক উলিয়াই সাজু হৈ আছে। অনুৰণৰ লগত সন্ধ্যা যাব বুলি শুনিয়ে জুৰি আৰু প্ৰিয়াই কথা পাতিছে,

"বৰ নিলাজ দেই এই সন্ধ্যাজনী।"

সিহঁতৰ বেয়া লাগিছিল অনুৰাধালৈহে। অনুৰাধাই যে সকলো জানি বুজিও সন্ধ্যাক একো কোৱা নাই। আনকি এতিয়া অহা নাই বুলি নিজে আগবাঢ়ি সন্ধ্যাক ৰুমৰ পৰা আনিবলৈ গৈছে। এজনী এজনীকৈ সন্ধ্যা আৰু অনুৰাধাৰ বাহিৰে সকলো আহিল।

"সন্ধ্যালৈ ফোন কৰ ৰে। দেৰি হ'বগৈ এতিয়া।"

ৰাজদ্বীপে কথাটো কওঁতেই নিমিষাই গেটৰ ফালে দেখুৱাই চিঞৰি উঠিল,

"সৌৱা অনুৰাধা আৰু সন্ধ্যা। আহিল।"

সিহঁত অহাৰ লগে লগে টেম্পু দুখন ষ্টাৰ্ট দিলে। অনুৰণেও বাইকৰ চাবি ঘূৰালে।

"অনুৰণ, মই টেম্পুতে যাওঁ হা। কিবা চৰ্দি নিচিনা লাগিছে। বাইকত হাৱা খাই গ'লে বেছি হ'ব। তুমি অনুৰাধাকে লৈ যোৱা।"

কথাটো কৈয়ে অনুৰণৰ উত্তৰলৈ বাট নাচাই সন্ধ্যা টেম্পুত উঠিল। টেম্পুখন আগবাঢ়িল লগে লগে। প্ৰচণ্ড বিৰক্তিৰে অনুৰাধাক বাইকত লৈ আগুৱালে অনুৰণ। তাৰ বাহুত হাতখন থৈ অনুৰাধাৰ মুখত জিলিকি উঠিছিল বিশেষ হাঁহিটো।

"আনোৱাৰ চিনেমা হল"

তেজপুৰত জোনাকীৰ উপৰিও এতিয়া আন দুটা চিনেমা হল নিৰ্মাণ হ'ল। এটা আনোৱাৰ আৰু আনটো গ'ল্ড। অতদিনৰ পৰা জৰাজীৰ্ণ জোনাকীত চিনেমা চাবলগীয়া হোৱাৰ বাবে বহুতৰ চিনেমা চোৱাৰ হাবিয়াসেই নোহোৱা হৈছিল। যোৱা বছৰৰ পৰা

Kaushik

এই আটক ধুনীয়া হল দুটা হোৱাত এতিয়া তেজপুৰৰ মানুহখিনিৰ বাবে ভাল হ'ল। আনোৱাৰ হলটো টাউনৰ মাজতেই বাবে সন্ধ্যাহঁতৰ দলটো তালৈকে আহিল। টিকট কাটি থোৱা আছিল অনলাইনতে। সন্ধ্যাহঁত ভিতৰত সোমাইছিল যদিও থিয়েটাৰৰ ভিতৰলৈ নগে অনুৰণ আৰু অনুৰাধালৈ ৰ'ল। সময়ো আছে বাৰু। কোনো কোনোৱে পপকৰ্ণ কিনিছিল। সৰু সৰু ল'ৰা ছোৱালী দুই এটা দৌৰি ফুৰিছে। কোনো কোনো আকৌ ফটো উঠাত ব্যস্ত। মানুহৰ ভিৰ দেখি সন্ধ্যাৰ ভাল লাগিছিল সঁচাই। এইদৰেই অসমীয়া চিনেমাৰ পুৰণি ৰূপটো ঘূৰি অহাটোৱে বিচাৰে।

"তই অকলে যে, অনুৰণ ক'ত?"

জুৰিৰ মাতত ঘূৰি চাওঁতেহে সন্ধ্যাই দেখিলে অনুৰাধা অকলেই সোমাই আহিছে ভিতৰলৈ। সিহঁতৰ ওচৰ পাই তাই ক'লে,

"অনুৰণৰ কিবা জৰুৰী কাম ওলাল বোলে। মোক পৰোৱা চাৰিআলিতে নমাই উভতি গ'ল। যাওঁতেও তহঁতৰ লগতে যাবলৈ দিছে। মই টেম্পুত অহাৰ বাবে দেৰি হ'ল অলপ।"

জুৰিহঁতৰ খং উঠিছিল। পৰীক্ষাও শেষ এতিয়াওনো কি এনে কামটো ওলাল যে কাটি থোৱা টিকটোও এনেই যোৱালে। সন্ধ্যা মাত্ৰ নিশ্চুপ হৈ ৰৈছিল। কোনেও নাজানিলেও তাই যেন বুজি উঠিছিল কিবা এটা।

"তহঁত বহগৈ চোন। মই ৱাছৰুমৰ পৰা আহোঁ।" বুলি কৈ সন্ধ্যা আঁতৰি আহিল। জুৰিহঁত ভিতৰ সোমাল। সন্ধ্যাই আঁতৰি আহি অনুৰণলৈ ফোন লগালে। প্ৰথম বাৰত কাটি দিছিল যদিও তাই আকৌ লগালে। এইবাৰ ৰিচিভ কৰিলে সি,

"কোৱা"

"কি মানুহ অ' তুমি? নাহিলা যে?"

অনুৰণে নিৰুদ্বেগ হৈ ক'লে,

"কাম এটা ওলাল।"

সন্ধ্যাই প্ৰায় চিঞৰাৰ দৰে সুধিলে,

"ঘপকৈ কামটো ক'ৰ পৰা ওলাল অ' তোমাৰ?"

"ঘপকৈ তোমাৰ চৰ্দি বেমাৰটো য'ৰ পৰা ওলাল।"

Kaushik

কথাটো কৈয়ে ফোনটো কাটি দিলে অনুৰণে। সন্ধ্যাই বুজিলে, তাই যিটো সন্দেহ কৰিছিল সেইটোৱেই। তাইৰ ওপৰত অভিমান কৰি অনুৰণ নাহিল। কিন্তু কিয়! অনুৰাধা তাৰ প্ৰেমিকা, সিতো ভালহে পাব লাগিছিল। কিন্তু অনুৰণৰ কোনো আচৰণতে এতিয়ালৈকে সেইটো প্ৰকাশ পোৱা নাই কিয়! অনুৰাধাৰ সলনি তাইৰ লগত সময় কটাবলৈহে চোন সি বেছি ইচ্ছুক। কিন্তু কিয়! ভাবি পাৰ পোৱা নাই সন্ধ্যাই। সঁচাকৈ বাৰু প্ৰেমক সম্পৰ্কত আছে নে অনুৰণ আৰু অনুৰাধা! নে তাই কিবা ভুল বুজি থকা নাইতো !!

(আগলৈ)

#নিৰিবিলি

Part 112

এদিন মমৰ শিখাটোৱে গলি থকা মমডালক সুধিছিল, "ইমান কি ট্ৰেজেদী তোমাৰ, সদায় যে চকুলো বৈয়ে থাকে?" উত্তৰত মমডালে একো নাই বুলি মাত্ৰ হাঁহে। কেনেকৈনো ক'ব, "বুকুত জুইকুৰা জ্বলাই এই কষ্ট যে সদায় তুমিয়েই দি আছা।"

এৰা, সকলো কথা খুলি কৈ দিব পৰা হ'লে পৃথিৱীত দুখ কষ্ট নামৰ একো নাথাকিলেই হেঁতেন। ৰত্নাকৰ চাই অহাৰ পাছত ৰাতি অনুৰণে আকৌ ফোন কৰিছিল সন্ধ্যালৈ। বাৰে বাৰে সুধিছিল তাইক,

"এবাৰ মাত্ৰ কোৱা, কি বেয়া পাইছা মোক?"

"একো নাই অনুৰণ" বুকুখন শিলৰ দৰে কৰি সন্ধ্যাই উত্তৰ দিছিল। কেনেকৈ কয় তাই যে সিদিনা অনুৰাধাই তাইক মাতিবলৈ আহি কি অনুৰোধ কৰিছিল। কেনেকৈ কয় যে অনুৰাধাৰ চকুলোৰ ওচৰত তাই নিজৰ অনুভূতি খিনিক এৰাল দিবলৈ বাধ্য হৈছিল। নাই একো ক'ব নোৱাৰিলে তাই। অনুৰণ অতিষ্ঠ হৈছিল,

"কিনো অনবৰতে ট্ৰেজেদী টাইপ থাকা হা তুমি?"

চকুৰ পানী মচি সন্ধ্যাই হাঃ হাঃ কৈ হাঁহি উঠিছিল,

"মই দেৱদাস পাৰ্ট টু বনাম। চাই থাকা।"

Kaushik

"সঁচাই পাগলী অ' তুমি"

"চির্ফ টুমহাৰে লিয়ে জানেমান।"

সন্ধ্যাৰ ডাইলগ শুনি হাঁহিত বাগৰি পৰিছিল অনুৰণ। কথা পাতি থকাৰ মাজতে বৈ অহা অশ্ৰু কেইটোপাল গাৰুটোতে মচিছিল সন্ধ্যাই। আকাশত সেইয়া বেঁকা পশ্চিমৰ কাঁচিজোন। এৰা, বেলিয়ে কেনেকৈ জানিব দিনৰ পোহৰত হাঁহি থকা বহু মুখে জোনাকৰ আঁৰত কিদৰে উচুপে। সেইবাবেই জোন সদায় বিশেষ, সন্ধ্যাৰ বাবে।

"দুখ লাগিছে, খং উঠিছে আৰু চবতকৈ বেছি লাজ লাগিছে প্ৰিয়ানুজ দা। কি গুৱাহাটী, কি কটন, কি ডিব্ৰু এখনো ৰৈ থকা নাই। জ্বলি আছে চব ফালে। আৰু আমি কিহলে ৰৈ আছোঁ। সময় বেয়াতকৈও বেয়া হৈ গৈ আছে। আৰু আমি? আজি বিষ্ণু ৰাভা থকা হ'লে ভাবিলেহেঁতেন কি যে এজাক কাপুৰুষৰ হাতত মোৰ মাটিখিনি দি গ'লো।"

শৰাইঘাট হোষ্টেলৰ প্ৰিয়ানুজৰ ৰুমত বহু সময় চিঞৰি চিঞৰি ভাগৰত ফোঁপাবলৈ লাগিছিল ময়ূঁৰে। চকুৰে পানী বৈ আহিছে তাৰ। তেজবোৰ যেন উতলি আহি মুখখনত জমা হৈছেহি। অকল ময়ূঁৰৰেই নহয়। অসমক ভাল পোৱা প্ৰতিজন অসমীয়াৰে আজি এইটো অৱস্থা। সেই ৰত্নাকৰ চাই অহাৰ পাছতে মিড টাৰ্মৰ বন্ধত ঘৰলৈ গৈছিল সকলো। তাৰ পৰা আহি পাই মানে অসমৰ পৰিৱেশ যেন লাহে লাহে সলনি হ'ব লৈছিল। চৰকাৰে অনা কেবখন গৃহীত হ'ব বুলি গম পোৱাৰ পাছৰ পৰাই ৰাজপথলৈ ওলাই আহিছে শ শ জনতা। কোনো সংগঠন, কোনো সভা, কোনো মঞ্চৰ আঁৰত নহয়। বুকুৰে অসমীয়া বুলি ক'ব পৰা প্ৰতিজন লোক আগবাঢ়ি আহিছে নিজৰ অসমখনক বিদেশীৰ কঁৰালগ্ৰাসৰ পৰা বচাবলৈ। প্ৰথমে উমি উমি জ্বলি থকা প্ৰতিবাদৰ জুইকুৰা দাবানললৈ সলনি হৈছিল লাহে লাহে। ৰণশিঙা বাজিছিল ঐতিহ্যমণ্ডিত কটনৰ বাকৰিৰ পৰাই। নৱেম্বৰৰ শেষৰ ফালে কটনত নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰুদ্ধ মঞ্চ গঠন হোৱাৰ পৰাই যেন প্ৰতিবাদত কঁপিছিল অসমৰ আকাশ বতাহ। সদায় শুনা গৈছে প্ৰতিবাদত আৰক্ষীৰ লাঠি চালনা, প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ ইত্যাদি ইত্যাদি। অসমৰ ছাত্ৰ ছাত্ৰীসকলে আগভাগ লোৱা এই আন্দোলনটোত এতিয়ালৈকে দূৰ্ভাগ্যজনক ভাৱে নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰি আছে তেজপুৰ ইউনিভাৰ্চিটীয়ে। কাৰণ? সেই একেই। কিছুমানৰ যদি আমাৰ কি আহে যায় মনোভাৱ, কিছুমানৰ আকৌ মন

Kaushik

থাকিলেও ইউনিভাৰ্চিটীৰ কঠোৰ নিয়মৰ আগত থিয় দিয়াৰ সাহসৰ অভাৱ। তাৰ মাজতে নিজৰ ওপৰতে খঙত জ্বলি আছে ময়ূঁৰ, প্ৰিয়ানুজহঁতৰ দৰে ল'ৰা ছোৱালীবোৰ। সৌ ওচৰৰে দৰং কলেজৰ ছাত্ৰ ছাত্ৰীয়েও ৰাজপথত প্ৰতিবাদ কৰি আছে কিন্তু প্ৰায় পাঁচ হেজাৰ ছাত্ৰ ছাত্ৰীৰ বিশ্ববিদ্যালয়খন নিশ্চুপ। তেজপুৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল অসম চুক্তিৰ ফলত। এতিয়া ২০১৪ লৈকে বাংলাদেশীক নাগৰিকত্ব দিব বুলি কৈ চৰকাৰখনে অসম চুক্তিকেই বুঢ়া আঙুলি দেখুৱাইছে। যিখন চুক্তিৰ ফলত আজি তেজপুৰ বিশ্ববিদ্যালয়ে সগৌৰৱে থিয় দি আছে, সেইখন চুক্তিৰে মষিমূৰ হোৱাত নিমাত হৈ থকাটোত প্ৰশ্ন উঠাটো স্বাভাৱিক। ৰাজ্যৰ বিভিন্ন প্ৰান্তত সমালোচনা আৰু ঠাট্টাৰে থকাসৰকা কৰা হৈছে তেজপুৰ ইউনিভাৰ্চিটীক।

"তেওঁলোক শুই আছে, কিবা এৱাৰ্ড পালেহে উঠিব।"

"তাত মানুহ নাথাকে নহয়, মেচিনহে থাকে।"

"চৰকাৰৰ পোহনীয়া"

এই সকলো মস্কৰাই বেজীৰ দৰে খোঁচে ময়ূঁৰহঁতক। কিন্তু সিহঁত যেন নিৰূপায়। গোটেই অসম যি সময়ত জ্বলি উঠিছে, সেই সময়ত তেজপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'বলৈ গৈ আছে ছেমিষ্টাৰৰ ফাইনেল পৰীক্ষা। প্ৰিয়ানুজহঁতৰ দৰে উমি উমি জ্বলি থকা ল'ৰাবোৰৰ বাবে যেন এই পৰীক্ষাটোৱে ঘিঁউহে ঢালিছে। যিয়ে শুনিছে সিয়েই আড্ডাত ফুচফুচাই সেই কথাই পাতিছে। এই সময় পৰীক্ষাৰ বাবে উপযুক্ত নে বাৰু! যি সময়ত একেই বয়সৰ আন আন ছাত্ৰ ছাত্ৰীয়ে ৰাজপথত মাৰ খাই জাতিটোক বচাবলৈ উঠি পৰি লাগিছে, সেই সময়ত এচি ৰুমত বহি কোনজন অসমীয়াই পৰীক্ষা দিব পাৰিব! কিন্তু উপায় কি! ইয়াততো এনে কোনো ষ্টুডেণ্ট ইউনিয়ন নাই যে প্ৰতিবাদেৰে ইউনিভাৰ্চিটীৰ প্ৰশাসনকো কঁপাই দিব।

সেইবোৰ কথাকেই পাতি আছিল প্ৰিয়ানুজৰ ৰুমত। লগত ময়ূঁৰ, সিদ্ধাৰ্থ আৰু আন দুই তিনিজন ল'ৰা। এবাৰত সিদ্ধাৰ্থই ক'লে,

"এটা কাম কৰোঁ প্ৰিয়ানুজ। যি আছে আৰু, আমি কেইটা মানেই ওলাই দিওঁ ব'লা। চাৰি পাঁচটা যি হয়।"

প্ৰিয়ানুজে অলপ সময় চিন্তা কৰি ক'লে,

Kaushik

"সেইটো কৰিলে বৰ বেয়া মেচেজ এটা যাব সিদ্ধাৰ্থ দা। চৰকাৰক সুযোগহে দিয়া হ'ব ক'বলৈ যে তেজপুৰ বিশ্ববিদ্যালয়ত একো প্ৰতিবাদ হোৱাই নাই।"

এইবাৰ ৰক্তিম নামৰ ল'ৰাটোৱে ক'লে,

"তেন্তে বাদ দিয়ক দাদা। ইউনিভাৰ্চিটীত নালাগে, আমি টাউনলৈ ওলাই যাওঁ। তাততো সদায় প্ৰতিবাদ হৈ আছে। তাতে কৰিম।"

প্ৰিয়ানুজে আকৌ ক'লে,

"পাৰি, তেনেকৈ পাৰি। কিন্তু কথাটো হ'ল আমি তেজপুৰ ইউনিভাৰ্চিটীৰ ষ্টুডেন্ট হয়। ষ্টুডেন্ট হিচাপে আমাৰ কি একো দায়িত্ব নাই নেকি যে ইউনিভাৰ্চিটীখনৰ হৈ কিবা এটা ষ্টেপ লোৱা।"

ময়ূঁৰে লগে লগে শলাগিলে,

"একদম ঠিক কৈছে প্ৰিয়ানুজ দা। আজিও যদি আমি মাত নামাতোঁ তেন্তে এই ক'লা দাগ গোটেই জীৱন তেজপুৰ ইউনিভাৰ্চিটীৰ গাত থাকি যাব।"

"কিবা এটাতো কৰিব লাগিব। জানো, আজিলৈকে তেজপুৰ ইউনিভাৰ্চিটীত প্ৰতিবাদ হোৱা নাই। পলিটিকেলি ইউনিভাৰ্চিটী সদায় নিউট্ৰেল। কিন্তু এইবাৰ টি ইউ নিউট্ৰেল হ'ব নোৱাৰিব। এইবাৰ পক্ষ ল'বই লাগিব। অসমৰ পক্ষ, অসমীয়াৰ পক্ষ।"

কথাৰ লগে লগে প্ৰিয়ানুজৰ মুখখন দৃঢ় আৰু কঠিন হৈ পৰিছিল। হাতৰ মুঠিবোৰ টান হৈ পৰিছিল ময়ূঁৰহঁতৰো।

"আমাৰ ইয়াত কি একো প্ৰটেষ্ট নহয় নেকি বা?"

ভাত খাই থাকোঁতে ডাইনিং হলত ঝৰ্ণাই সন্ধ্যাক সুধিলে। কি ক'ব ভাবিয়ে নাপালে সন্ধ্যাই। তাই সিদিনা ঘৰত যাওঁতে দেখিছে ঘৰৰ ওচৰৰ ল'ৰা ছোৱালী সকলো ওলাই গৈছে। দিনটো আন্দোলন, সন্ধিয়াও আন্দোলন। সেইদিনা গাঁৱৰে মনোৰমা আইতাই এইবোৰ কথাকে কৈ কৈ কান্দিছে,

"কিয় এনেকুৱা কৰিছে অ' ৰজাঘৰে। ইমান আশা কৰি তাহাঁতক ৰজা পাতিলোঁ। এতিয়া এই বুকুত কামোৰটো কিয় মাৰিলি অ' বোপাইহঁত।"

Kaushik

সন্ধ্যাৰ চকু সেমেকিছিল। সেইজনী আইতায়েই ২০১৬ ত ভোট দিবলৈ লাখুটিত ভৰ দি খুপি খুপি গৈছিল। আইতাই হেনো আগতে অসম আন্দোলন কৰিছিল। তেতিয়াৰ অভিজ্ঞতাৰ কথা কৈ দুখ কৰিছিল আইতাই,

"তেতিয়াতো আজি নিচিনা মোবাইল নাই। আমি ডবা কাঁহ বজোৱা শুনিয়েই ওলাই আহিছিলোঁ। আন্দোলন কৰিছিলোঁ পঢ়া শুনা বাদ দি যাতে আমাৰ পিছৰ ল'ছালিবোৰে অসমখনত শান্তি থাকিব পাৰে। কিন্তু নাই, অসমত শান্তি নহ'লগৈ।"

কৈ কৈ হুকহুকাই কান্দি পেলাইছিল তেওঁ। নৰীয়া গাৰেই ওলাই গৈছিল প্ৰতিবাদত। কঁপা কঁপা মাতেৰে চিঞৰিছিল,

"জ---য় আই অস--ম"

এই এমাহতে অসমৰ যেন নক্সাই সলনি হৈ গ'ল। সৌ সিদিনালৈকে ৰত্নাকৰ চাই হলত হাউচফুল কৰি আছিলহে অসমৰ ৰাইজে। তাৰ পাছতে যেন অসমৰ বতাহজাকে লাহে লাহে ভয়ংকৰ ৰূপ লৈছিল। ডেকা বুঢ়া সকলো ওলাই আহিছিল।

অসমৰ প্ৰায়বোৰ শিক্ষানুষ্ঠানৰে পৰীক্ষা পিছুৱাইছে। কিন্তু তেজপুৰ ইউনিভাৰ্চিটী নিজৰ সিদ্ধান্তত অটল। পৰীক্ষা হ'বই। সেই লৈয়ে সকলোৰে কৌতূহলৰ অন্ত নাই। তেনেকুৱা এটা আড্ডাতে ঝৰ্ণাৰ প্ৰশ্নত নিমাত হৈ ৰ'ল সন্ধ্যা। উত্তৰটো অৱশ্যে ঝৰ্ণাই নিজে দিলে,

"ক'ত হ'ব চাগে। আমাৰটো আৰু পৰীক্ষা পতাতহে জোৰ বেছি। কাউন্সিলখনেও যে কি কৰি আছে।"

ঝৰ্ণাই আৰু কিবা কিবি কৈছিল যদিও কাণত নোসোমাল সন্ধ্যাৰ। এই কেইদিন তাইৰ সেই মনোৰমা আইতাৰ কথাই মনত পৰি আছে। অতবোৰ মানুহৰ শাওপাতলৈও ভয় কৰা নাই নে চৰকাৰখনে!

এনেতে সন্ধ্যাৰ মোবাইলটো বাজিল। তাই উঠালে,

"অঁ অনুৰণ, কোৱা।"

"তোমাৰ তাত বন্দিতা মেমে দিয়া জেৰক্সটো আছিল নি?"

"আছে। কিয় তুমি নকৰিলা নি?"

"পাহৰিলোঁ। দিব পাৰিবা?"

Kaushik

"ঠিক আছে। Essential আহা। গৈ আছোঁ মইও।"

ফোনটো কাটিলে সন্ধ্যাই। সেই ৰত্নাকৰ চাই অহাৰ পিছৰে পৰা অনুৰণক ভালকৈ লগ পোৱাই নাই তাই। তাৰ পৰা আহিয়ে পূজা বুলি ঘৰলৈ গ'ল। তাৰ পাছতে Assignment আৰু Presentation ৰ কামবোৰত ব্যস্ত। সেইবোৰ শেষ হয় মানে ফাইনেল পৰীক্ষা পালেহিয়েই। পৰীক্ষা ওচৰ চপাৰ লগে লগে সিহঁতৰ ক্লাছবোৰো শেষ হৈছে। কোৰ্চ কম্প্লিট হোৱাৰ পাছত প্ৰফেচাৰবোৰে ক্লাছ ল'বলৈ এলাহ কৰে। ষ্টুডেন্টেও ভালেই পায়। সিদিনা বন্দিতা মেমে লাষ্ট ক্লাছত জেৰক্স এটা দিছিল। বহুতৰ দৰে সন্ধ্যাইও কৰাই ল'লে। সেইখন পেপাৰ ময়ূঁৰৰ নাই বাবে অনুৰণে তাইৰ পৰা বিচাৰিছে চাগে। ভাত খাই জেৰক্সটো লৈ সন্ধ্যা Essential লৈ ওলাই গ'ল। Essential ৰ খালী চৌহদটোত অনুৰণ বহি আছিল গছজোপাৰ তলতে। অনুৰণৰ পৰা সন্ধ্যা আজিকালি প্ৰায় আঁতৰি থাকে যদিও সি নিজে মাতিলে তাই আহে। তাক আঁতৰৰ পৰা দেখি বুকুৰ সেই বিষটোৱে উক দিছিল তাইৰ। এই যে প্ৰিয়জন কাষত থকাৰ পাছতো নিজকে আঁতৰাই ৰাখিব লগা হয়, এই যে মনৰ অনুভূতিবোৰক বুকুত হেঁচি হেঁচি নিচুকাব লগা হয়, ইয়াতেই জীৱনে শূণ্যতা লৈও সুখী হোৱাৰ আখৰাখন ভালদৰেই কৰায়। আজিকালি সন্ধ্যাও এই ক্ষেত্ৰত অভ্যস্ত। তথাপি অনুৰণক সমুখত দেখিলে এতিয়াও বুকুত বিষাদৰ সুৰ এটা বাজি উঠে। সন্ধ্যাই দীঘলকৈ উশাহ এটা লৈ মুখত হাঁহি এটা আঁকি Essential ত সোমাল।

Essential খন প্ৰায় খালী। আজি আৰু ক্লাছ নাই। কাইলৈও নাই বুলিবই পাৰি। গতিকে চব ৰাইজ পঢ়াত লাগিছে এতিয়া। অনুৰণৰ কাষ চাপি সন্ধ্যাই ক'লে,

"চব ফালে আন্দোলন, আৰু তোমাৰ পঢ়াৰ উৎপাত লাগিছে ন?"

অনুৰণে হাঁহি মাৰি চকী এখন আগবঢ়াই দিলে। তাৰ পাছত সন্ধ্যাৰ পৰা জেৰক্সটো লৈ Essential ৰ ভিতৰলৈ গ'ল। অলপ পাছতে হাতত কফি দুকাপ লৈ উভতি আহিল।

"হেই, কফি কিয় আনিলা। এইমাত্ৰ ভাত খাই আহিছোঁহে মই।" সন্ধ্যাই ক'লে।

অনুৰণে ঘূৰণীয়া টেবুলখনত কফি দুকাপ থৈ চকী এখন আনি সন্ধ্যাৰ কাষতে বহিল,

"জেৰক্সটো কৰি হ'লে লৈয়ে যাব পাৰিবা।"

"পাছতে নিলোঁ হয়।"

"ৰৈ দিয়া অলপ। আজিকালিতো পাবলৈ নাইয়ে তোমাক। ইমান বিজি মানুহ।"

Kaushik

সন্ধ্যাই কফিত চুমুক দি ক'লে,

"হ'ব নেকি, মইহে বিজি। নিজৰতো আমাৰ লগত চিনেমা এখন চাবলৈ যাবলেও সময় নাই। তাৰ পাছত আৰু মোকহে কয়।"

"নাযামতো। প্ৰথমতে বাইকত যাম যাম কৈ পাছত চৰ্দি লগাৰ বাহানা।"

"হাৰে, অনুৰাধাতো গৈছিল। তুমি ভালহে পাব লাগিছিল।"

খাই হোৱা কফিৰ কাপটো টেবুলত থৈ অনুৰণে ক'লে,

"কি কাৰণে ভাল পাম মই?"

"হাৰে তাই তোমাৰ---"

"দাদা, জেৰক্সটো হ'ল।"

সন্ধ্যাৰ কথাৰ মাজতে essentialৰ ল'ৰাজনে ক'লেহি। অনুৰণ উঠি গৈ জেৰক্সটো আনিলেগৈ। সন্ধ্যাৰ লগে লগে অনুৰণো Essentialৰ পৰা ওলাল। বাটতে সি সন্ধ্যাক ক'লে,

"শুনা, আৰু যাতে এনেকুৱা ধেমালি নকৰা।"

"অকে বাবা। নকৰোঁ মই। এইবাৰ এক্সাম শেষ হ'লে আকৌ কামেং যাম ওলাবা।"

সন্ধ্যাই অনুৰণ চুলিখিনি লৰাই খেলিমেলি কৰি দি ক'লে। অনুৰণে লগে লগে হাঁহি মাৰি ক'লে,

"এইবাৰ বিয়েৰ নহ'ব কিন্তু।"

সন্ধ্যাইও হাঁহি পেলাইছিল জোৰেৰে।

"ঐ সন্ধ্যা, ক'ত যাঁৱ?"

চিঞৰটো শুনি ৰাস্তালৈ চাই দেখে খৰ খোজেৰে হিমাদ্ৰী আহি আছে। তাই আহি সন্ধ্যাহঁতৰ ওচৰ পোৱাত সন্ধ্যাই ক'লে,

"নাযাওঁ ক'তো। ইয়াক জেৰক্স এটা দিবলৈ আহিছিলোঁ।"

"ফ্ৰী আছ যদি ব'লচোন মহামায়াৰ পৰা আহোঁ। ময়ূঁৰ আৰু প্ৰিয়ানুজো আছে।"

Kaushik

সন্ধ্যাই বুজিলে, কথা নিশ্চয় গম্ভীৰেই। প্ৰিয়ানুজো আছে যেতিয়া কেবৰ কথাই কিবা হ'ব। প্ৰিয়ানুজ এইবোৰ ক্ষেত্ৰত যথেষ্ট অভিজ্ঞ বাবে তাৰ কথা সকলোৱে শুনে। সন্ধ্যাহঁতেও জানে তেজপুৰ বিশ্ববিদ্যালয়ত কেবৰ বিৰুদ্ধে যদি কিবা হয়, সেয়া প্ৰিয়ানুজ, সিদ্ধাৰ্থ, হিমাদ্ৰীহঁতৰ নেতৃত্বতহে সম্ভৱ হ'ব। সেয়ে হিমাদ্ৰীৰ কথাত সন্ধ্যা তাইৰ লগতে মহামায়ালৈ ওলাল। অনুৰণ উভতিল পাটকাইলৈ।

"ইউনিভাৰ্চিটীৰ ষ্টুডেন্টক সুধি চাচোন আঠশ পচপন্নজন শ্বহীদৰ পৰা এজনৰো নাম। মই লিখি দিম, পাঁচ হেজাৰ ল'ৰা ছোৱালীৰ মাজত পাঁচশ টাইও ক'ব নোৱাৰে। কে বি আৰত ড্ৰামা চাবলৈ চব যায়, সোধ চোন কে বি আৰৰ ফুল ফৰ্ম কি আৰু তেখেত কোন। কেইটাই ক'ব পাৰে চাম।"

মহামায়াত বকুল দাই গৰজি আছিল। ক্ষোভ, এক প্ৰচণ্ড ক্ষোভ সকলোৰে মনত। এইহেন সময়ত কিদৰে পঢ়াৰ আয়োজন কৰিব পাৰে শ্বহীদৰ কেঁচা তেজেৰে নিৰ্মাণ হোৱা এইখন ইউনিভাৰ্চিটীয়ে। হিমাদ্ৰী আৰু সন্ধ্যা সোমাইছিলগৈ মহামায়াত। হিমাদ্ৰীয়ে লগে লগে ক'লে,

"বকুল দা, যিখন ইউনিভাৰ্চিটীত আজি পঁচিছ বছৰে অসমীয়া ডিপাৰ্টমেণ্টটোৱেই নাহিল, সেইখনত আৰু কি আশা কৰিব কওঁক।"

বকুল দাই একো নকওঁতেই প্ৰিয়ানুজে ক'লে,

"আশা কৰিব লাগিব হিমাদ্ৰী। ইমান দিনে একো নহ'ল বুলি এতিয়াও যে একো নহ'ব তাৰ কি অৰ্থ আছে। ইমান দিনে অসম এইদৰে জ্বলা নাছিল। কিন্তু আজি জ্বলিছে। ইমান দিনে কোনো প্ৰতিবাদত ডেকা বুঢ়া, গাভৰু বোৱাৰী, ল'ৰা ছোৱালী একেলগে ৰাজপথত নমা নাছিল। কিন্তু আজি নামিছে। এইটো অকল প্ৰতিবাদ হৈ থকা নাই, এইটো আন্দোলন। আৰু ইয়াত তেজপুৰ ইউনিভাৰ্চিটীয়েও ভাগ ল'ব। ল'ব লাগিব।"

"কিন্তু কেনেকৈ প্ৰিয়ানুজ দা?"

সন্ধ্যাৰ প্ৰশ্নত অলপ সময় চিন্তা কৰি প্ৰিয়ানুজে লাহে লাহে ক'লে,

"এইক্ষেত্ৰত কাউন্সিলে এটা ষ্ট্ৰং ষ্টেপ ল'ব। কিন্তু আমি প্ৰতিজন ষ্টুডেন্ট কাউন্সিলৰ লগত থাকিব লাগিব। অকলে কাউন্সিলে একো কৰিব নোৱাৰে। তাৰ বাবে আমি গোটেইখিনি লগ হ'ব লাগিব। তাৰ বাবে আমাৰ প্ৰথম কাম হ'ব ষ্টুডেন্টবোৰক একলগ

Kaushik

কৰা। কাইলৈ যদি ইয়াত প্ৰটেষ্ট এটা হয়, চব যেন ওলাই আহে সেইটো নিশ্চিত কৰিব লাগিব।"

প্ৰিয়ানুজৰ ৰণনীতি বুজি উঠিছিল সিহঁতে। নাই, এই সময়ত মনে মনে থাকি নিজক কাপুৰুষৰ শাৰীত কেতিয়াও নথয়। তেজপুৰ বিশ্ববিদ্যালয়ত এতিয়াও বিষ্ণু ৰাভাৰ আত্মা আছে, স্বদেশ প্ৰেম এতিয়াও কাঞ্চনৰ চহৰত আছে। আৰু প্ৰাণ থকালৈকে সিহঁতে চিঞৰিব। অসমক হাতৰ পুতলা কৰিবলৈ কোনো পধ্যেই দিয়া নহ'ব।

সেইদিনা বৃহস্পতি বাৰ। পিছদিনা শুক্ৰবাৰৰ পৰা পৰীক্ষা। কাৰো মন নাই কিতাপত। এমিনিটীত মুখ ওন্দোলাই বহি আছে ময়ূঁৰ, হিমাদ্ৰী আৰু চন্দ্ৰালী। সমুখত গাখীৰ চাহ। দুপৰীয়াৰ সময়। বৰ বেছি মানুহ নাই। তাতে কাইলৈ পৰীক্ষাৰ বাবে তেনেই সেৰেঙা এবাৰ শোহা এটা মাৰি ময়ূঁৰেই ক'লে,

"তাৰ মানে আমি ভবাটোৱেই হ'ল গৈ।"

চন্দ্ৰালীয়ে হুঁমুনিয়াহ এটা সৰালে। হয়, সিহঁতে ভবাটোৱেই হ'ল। অনুমতি নাপালে কাউন্সিলে প্ৰতিবাদৰ। আজি গুৱাহাটীত কটনৰ লগতে অন্যান্য কলেজৰ ষ্টুডেণ্টে মিলি বিশাল প্ৰতিবাদ গঢ়ি তোলে। নামো দিছে, "ৰণহুংকাৰ"। সিদিনা জোৰ সমদলো ওলাইছে। তেজপুৰ টাউনতো ছাত্ৰ সংগঠনৰ ল'ৰাবোৰৰ লগতে সাধাৰণ ৰাইজেও কঁপাই তুলিছে ৰাজপথ। কিন্তু নিমাও মাও এই বিষ্ণু ৰাভাৰ চহৰ।

এনেতে ৰাস্তাৰ পৰা প্ৰিয়ানুজ সোমাই আহিল। আহিয়েই হুলস্থুল কৰিলে সি,

"কি হ'ল? তোমালোক এনেকৈ আছা যে? সাজু হোৱা। পৰহিলৈ ইউনিভাৰ্চিটী কঁপাব লাগিব।"

"মানে? পাৰ্মিচন?" হিমাদ্ৰীয়ে সুধিছিল।

প্ৰিয়ানুজে চকীখনত গাটো এৰি দি ক'লে,

"বাদ দিয়া সেইবোৰ। চাই থাকা। পৰহিলৈ শনিবাৰে ইউনিভাৰ্চিটীত কেবৰ এগেইনষ্টত প্ৰটেষ্ট হ'বই।"

অলপ পাছতে ঠাইখিনিত সিদ্ধাৰ্থ, অম্লানহঁতো গোট খালে। গোটেইবোৰে মিলি বহু সময় কিবা কিবি কথা পাতিলে। শেষৰ ফাললৈ উজলি উঠিছিল সিহঁতৰ মুখবোৰ।

Kaushik

সেইদিনা ৰাতিলৈ ফেচবুকত এটা পোষ্ট ভাইৰেল হ'ল,

"আপুনি যদি তেজপুৰ বিশ্ববিদ্যালয়ৰ সদস্য আৰু আপুনি যদি এই জাতিধ্বংসী বিধেয়কৰ বিৰোধিতা কৰে তেন্তে এই পোষ্টটো শ্বেয়াৰ কৰি আৰু এজনক টেগ কৰক।"

কোনে কেনেকৈ এইটো লিখিলে কোনেও নাজানে, মাত্ৰ এটাৰ পাছত এটা ষ্টুডেন্টে লিখি গৈছে পোষ্টটো। কোনোবাই কপি পেষ্ট কৰিছে কোনোবাই শ্বেয়াৰ কৰিছে। মুঠতে প্ৰায় এঘণ্টা মানৰ ভিতৰতে ফেচবুকত সেই বিশেষ পোষ্টটো বিয়পি পৰিল। পুৰণি ষ্টুডেন্টৰ পৰা আৰম্ভ কৰি নতুনলৈকে, আনকি প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকলেও শ্বেয়াৰ কৰিছিল। তেজপুৰতো যে উমি উমি জুই একুৰা জ্বলিছে তাৰ উমান পাইছিল সকলোৱে লাহে লাহে। আশাও কৰিছিল বহুতে। কিবা এটা যেন হ'বলৈ গৈ আছে তাৰ বাবে সাজু হৈছিল সকলো।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 113

পৰীক্ষা হ'বই। এৰা, তাতকৈ বেছি আশাও কৰা নাছিল সন্ধ্যাহঁতে। উপায় নাই। বুকুখন শিল কৰি পৰীক্ষা দিবলৈ গৈছিল সিহঁত। সোৱণশিৰীৰ পৰা ওলাওঁতেই অনুৰণক দেখিলে সন্ধ্যাই। essentialৰ পৰা আহি আছে।

"অ' ছাৰ, গুড মৰ্ণিং। চাইকেল এৰি খোজ কাঢ়ি যে আজি?" সন্ধ্যাই হাঁহি মাৰি মাতিলে। অনুৰণেও এমোকোৰা হাঁহিৰে মাত দিলে,

"মৰ্ণিং মৰ্ণিং। চাইকেল বেয়া হৈ আছে অ'। বাই দা ৱে, আজি তোমাৰ মুখ দেখিলো যেতিয়া পৰীক্ষা ভালেই হ'ব চাগে।"

"দেহি ঐ, মোৰ থন চোৱাতকৈ নিজৰজনীৰ মুখখন চাই নোলোৱা কিয়?"

সন্ধ্যাৰ কথাত ঘপকৈ অনুৰণৰ মুখৰ পৰা ওলাই গ'ল,

"নিজৰ জনীৰেইতো চাইছোঁ।"

"কি?" সন্ধ্যাই চিঞৰি উঠিছিল, "বৰ অসভ্য হৈছা দেই।"

এনেতে সিহঁতৰ আগত চাইকেল এখন ৰ'ল,

"ঐ সন্ধ্যা, জল্দি আহ। চাইকেলত উঠ।"

চাইকেলৰ পৰা জুৰিয়ে সন্ধ্যাক চিঞৰি মাতিলে।

"আহি থাকা দেই" বুলি অনুৰণক কৈ সন্ধ্যা জঁপিয়াই জুৰিৰ চাইকেলত উঠিল।

"কেনেকুৱা ছোৱালী ভাই, চাইকেল পাই এৰি দিলে মোক চা।"

অনুৰণ কথাত সন্ধ্যাই চাইকেলৰ পৰা তালৈ চাই জিভা সিঞালে,

"আহি থাকা খোজকাঢ়ি ডেকা ল'ৰা।"

অনুৰণে হাঁহিছিল তাইৰ কাণ্ডত। অকলেই আগবাঢ়িছিল সি। তেনেতে পিছফালৰ কোনোবাই মাত দিলে,

"মই আছোঁ নহয়।"

অনুৰণে ঘূৰি চাওঁতে দেখিলে অনুৰাধা বৈ আছে তাইৰ বিশেষ হাঁহিটোৰে। অনুৰণে মুখখন সামান্য হঁহাৰ দৰে কৰিছিল। অনুৰাধা আগবাঢ়িল তাৰ লগতেই। প্ৰথমতে একো মতা নাছিল কোনেও। অনুৰণে মোবাইলটো উলিয়াই বাটে বাটে টিপি আহিছিল। এনেতে অনুৰাধাই মাত দিলে,

"পঢ়া হ'ল অনুৰণ?"

"উম"

"ছিলেবাচ যে ইমান বেছি আছিল ন?"

"উম"

"মই এক্সাম নহয় বুলিয়ে ভাবিছিলোঁ।"

"উম"

"তুমি কিন্তু একদম একেই আছা অনুৰণ। সেই স্কুলৰ নিচিনা কথা নোকোৱা।"

"হমম"

Kaushik

অনুৰাধাৰ অস্বস্তি লাগিছিল নিজৰ ওচৰতে। অনুৰণে মোবাইলৰ পৰা চকু এবাৰলৈও উঠোৱা নাই। ৰাস্তাৰ কাষে কাষে মোবাইলটো চাইয়ে গৈ আছে। কথাৰ নামত মাত্ৰ "উম"।

এইবাৰ কিবা এটা মনত পৰাৰ দৰে অনুৰাধাই ক'লে,

"সন্ধ্যা ছোৱালীজনী বৰ মৰমলগা আকৌ।"

"অঁ, তুমিও মন কৰিছা ন? একদম সৰু ছোৱালীৰ নিচিনা তাই। মনটোও তেনেকুৱা। অনবৰত হাঁহি ধেমালি ফুৰ্তি এইবোৰেই কৰি ভাল পায়....."

অনুৰণে আৰু কিবা কিবি কৈছিল। অনুৰাধাৰ কাণত নোসোমাল। গোটেই বাটটো অনুৰাধাই আৰু টু শব্দ এটাও উচ্চাৰণ কৰা নাছিল।

পৰীক্ষা দি আহি ৰুমত সোমাই মোবাইলটো চাওঁতেই হোৱাটচ এপত প্ৰিয়ানুজৰ মেছেজ দেখিলে সন্ধ্যাই। কিবা হোৱাটচ এপ গ্ৰুপৰ লিংক। জইন কৰিবলৈ দিছে।

"Stand Against CAB (TU)" - গ্ৰুপটোৰ নাম। মেম্বাৰ এতিয়ালৈকে এশৰো ওপৰ হৈছে। নতুনকৈ জইন হৈয়ে আছে। জইন কৰিয়েই হাঁহি বিৰিঙিছিল সন্ধ্যাৰ মুখত। তাৰমানে সিহঁতৰ দৰেই সকলোৱে বিচাৰি আছিল এটা পদক্ষেপ লোৱাটো। হওঁক, এতিয়া অন্ততঃ কিবা এটা ষ্টেপ ল'বলৈ সহজ হ'ব। এনেতে ফোনটো বাজিল তাইৰ। ময়ূঁৰে কৰিছে,

"গ্ৰুপত সোমালা নে সন্ধ্যা?"

"অঁ, এইমাত্ৰ। মানুহ বহুতে জইন কৰিছে দেখোন।"

"অঁতো। অলৰেডি আৰু তিনিটা গ্ৰুপ ফুল। আমি ভুল ভাবি আছিলোঁ যে কোনেও ইয়াক লৈ একো ভবা নাই। আচলতে ভিতৰি ভিতৰি চব গুজৰি আছে। এতিয়া চাবা আমি কঁপাম তেজপুৰ।"

ময়ূঁৰৰ মাততে গম পোৱা গৈছে তাৰ উছাহ। সন্ধ্যাৰো একে অৱস্থা। হ'বইতো। এদিন আগলৈকে কি অৱস্থা আছিল সিহঁতৰ। যেন হাত ভৰি বন্ধা। মুখ থাকিও কথা ক'ব নোৱাৰা। এতিয়া সকলো ষ্টুডেন্ট একগোট হৈছে যেতিয়া বিশ্ববিদ্যালয় প্ৰশাসনেও সহযোগ কৰিব। কৰিব লাগিব।

Kaushik

"শুনা সন্ধ্যা। আমাৰ প্ৰতিবাদ পৰহিলৈকে হ'ব।" বুলি ময়ূঁৰে কথাখিনি বুজাই ক'লে। "ৰণদুন্দুভি" নামেৰে নামকৰণ কৰা হৈছে তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰতিবাদক। প্ৰথমে গোটেই কেম্পাছ আৰু মেইন গেটত জোৰ সমদল আৰু তাৰ পাছত কে বি আৰ অৰ্থাৎ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা অডিটৰিয়ামত সভা। কবিতা পাঠ, গীত আৰু বক্তৃতাৰে ৰজাঘৰীয়ালৈ বাৰ্তা প্ৰেৰণৰ যোঁ জা।

কথাখিনি কৈ ময়ূঁৰে ফোনটো থ'লে। এটা দীঘলকৈ উশাহ লৈছিল সন্ধ্যাই। এইবাৰ তেন্তে সাৰ পাব টি ইউয়ে। এতিয়া মাত্ৰ যিয়ে যেনেকৈ পাৰে সকলোকে সাজু কৰিব লাগিব। যিয়ে এতিয়াও কেব কি বুজিয়ে পোৱা নাই, সিহঁতক বুজাব লাগিব।

"চন্ধ্যা দিদি, অ' চন্ধ্যা দিদি।"

বাহিৰত ঝৰ্ণাৰ মাত। সন্ধ্যাই দুৱাৰখন খুলি দিলে।

"দিদি, গম পাইছা নে পৰহিলে যে প্ৰটেষ্ট হ'ব?"

"পাইছোঁ ঝৰ্ণা। ওলাবি কিন্তু।"

"ওলামতো আকৌ। মই লগৰ কেইজনীকো কৈ থৈছোঁ।"

ঝৰ্ণাৰ চকু দুটা উজলি উঠিছিল। কথা পাতি পাতি সিহঁত ডাইনিং হল পাইছিলগৈ। সমুখৰ ৰুমতে প্ৰিয়াক পাই সন্ধ্যাই তাইৰ লগত কথা পাতিবলৈ লগাত ঝৰ্ণা অলপ সময় অকলেই ৰৈছিল। তেনেকুৱা হোষ্টেলৰে সুনীতা আৰু স্বেতা ঝৰ্ণাৰ ওচৰলৈ আহিল। প্ৰথমে শ্বেতায়েই ক'লে,

"ঝৰ্ণা, তুমি এই কি কৰছ'?"

ঝৰ্ণাই বুজি নোপোৱাত এইবাৰ সুনীতাই ক'লে,

"ভুলবেন না যে তুমি একটি বেংগলী।"

"আমি কখন ভুলে যাই কি আমি বেংগলী?"

ঝৰ্ণাৰ কথাত সুনীতা অলপ ওচৰ চাপি ক'লে,

"তাহলে কেন প্ৰতিবাদেৰ জন্য এত উৎসাহী হয়ে উঠছেন?"

লগে লগে স্বেতাইও যোগ দিলে,

Kaushik

"তাদেৰ সাথে যোগ দেওয়াৰ জন্য তোমাৰ কী দৰকাৰ?"

এইবাৰ খণ্ডত জ্বলি উঠিছিল ঝৰ্ণা,

"তুমি কি বোঝাতে চেয়েছ'? বেংগলী হ'লো বুলি কি মোৰ আমাৰ জন্মভূমিখনৰ প্ৰতি একো দায়িত্ব নাই? অঁ, হয় মই বেংগলী। মোৰ মাতৃভাষা বেংগলী। মোৰ মা বাবা চব বেংগলী। ঘৰত আমি বেংগলীতে কথা কওঁ। কিন্তু মোৰ প্ৰথম পৰিচয় অসমীয়া। সৰুৰে পৰা এই অসমৰ হাৱা পানী খাই ডাঙৰ হৈছোঁ মই। মই দূৰ্গা পূজাত যেনেকৈ ঢাকত নাচিব জানো তেনেকৈ বহাগত ঢোলৰ চেঁৱত বিহুও মাৰিব জানো। ৰবীন্দ্ৰ নাথৰ কবিতাও পঢ়ো জ্যোতিপ্ৰসাদৰ কবিতাও আবৃত্তি কৰোঁ। মোৰ জন্ম ঠাইখনত কোনোবা বিদেশী আহি ঠাই ল'ব সেইটো কি মই মানি ল'ম?"

সুনীতাই কওঁ নকওঁকৈ ক'লে,

"কিন্তু তাৰা হিন্দু হয়।"

"তাতে কি? তাতে কি যে সিহঁত হিন্দু? বাংলাদেশী সদায় বাংলাদেশীয়েই। সিহঁতৰ কোনো জাতি ধৰ্ম চোৱা নাযায়। আৰু অসম অকল হিন্দু বা অকল মুছলমানৰ নহয়। অসম কেৱল অসমীয়াৰ। আৰু মই মনে প্ৰাণে এজনী খাঁটি অসমীয়া ছোৱালী।"

ঝৰ্ণাৰ চিঞৰত ওচৰৰ ছোৱালীবোৰে ঘূৰি ঘূৰি চাইছিল। সুনীতাহঁতৰ মুখ ক'লা পৰিছিল লাজত। সুৰ সুৰকৈ আঁতৰিছিল সিহঁত। অথনিৰে পৰা আঁতৰত বৈ ঘটনাবোৰ চাই থকা সন্ধ্যা আগুৱাই আহিল। ঝৰ্ণাই তাইক সাৱটি ধৰি উচুপি উঠিছিল,

"দিদি, আমি বেংগলী কি অসমীয়া নহয়?"

সন্ধ্যাই মৰমেৰে বুজাইছিল তাইক,

"কোনে কৈছে বেংগলী অসমীয়া নহয়? অসম আন্দোলনতো বেংগলী লোকে নিজৰ প্ৰাণ দি শ্বহীদ হৈছিল। ইতিহাস সাক্ষী আছে, যেতিয়াই আমাৰ ওপৰত বিপদ আহিছে আমি জাতি ধৰ্ম পাহৰি একেলগে থিয় দিছোঁ। এইবোৰ কথাই আমাক ভাগ ভাগ কৰিব নোৱাৰে ঝৰ্ণা।"

"কিন্তু মানুহবোৰে যে--"

"মানুহবোৰে বুজিব ঝৰ্ণা। আমিয়ে বুজাব লাগিব। বুজাব লাগিব যে অসমত থকা বঙালী ভাই ভনীবোৰ আমাৰ শত্ৰু নহয়। আৰু বঙালী সকলেও বুজিব লাগিব যে

বঙালী আৰু বাংলাদেশী কেতিয়াও একে নহয়। সিহঁত আমাৰ বাবে যিদৰে ক্ষতিকাৰক তেওঁলোকৰ বাবেও ক্ষতিকাৰক। আৰু ঝৰ্ণা, তোৰ নিচিনা সুন্দৰ মনৰ মানুহবোৰ থকালৈকে আমাক কোনেও ভাগ ভাগ কৰিব নোৱাৰে। এতিয়া ব'ল। পাকিজা ৰৈ আছে ভাত খাবলৈ।"

সন্ধ্যাৰ কথাত ঝৰ্ণা শান্ত হ'ল। ডাইনিং হলত কথাৰ মহলা মাৰি মাৰি একেলগে ভাত খাইছিল সন্ধ্যা, পাকিজা আৰু ঝৰ্ণাই। পাকিজাৰ আচাৰৰ ভাগ ঝৰ্ণাইও লৈছিল। সন্ধ্যাৰ আধা খোৱা পাপৰখন থপিয়াই নিছিল পাকিজাই। সিহঁতৰ মাজত কোনো হিন্দু নাছিল, কোনো বেংগলী নাছিল। হাঁহি হাঁহি কথা পাতি আছিল তিনিজনী অসমীয়া পাটগাভৰুৱে।

পিছদিনা ৰাতিপুৱাৰে পৰাই শৰাইঘাটত উথপথপ। শনিবাৰ বাবে আজি পৰীক্ষা নাই। গতিকে প্ৰতিবাদৰ বাবে সাজু হৈছে সকলো। কোনোবাই বাঁহবোৰ কাটি আনি জোঁৰ বনাইছে, কোনোবাই বেনাৰ পোষ্টাৰ তৈয়াৰ কৰিছে। কোনোবা টাউনলৈ গৈছে বিশেষ ব্যক্তিক মাতিবলৈ, কোনোবাই আকৌ যাক য'তেই পাইছে তাতে সন্ধিয়া সাত বজাৰ পৰা হ'বলগীয়া প্ৰতিবাদৰ বাবে আহিবলৈ বুজাইছে। তেজপুৰ ইউনিভাৰ্চিটীত পৰীক্ষাৰ মাজত এই ধৰণৰ পৰিৱেশ যে একেবাৰে অকল্পনীয়। কিন্তু এয়া সময়ৰ আহ্বান। কাঞ্চন কিদৰে পিছ পৰি ৰ'ব!

Kaushik

শৰাইঘাটৰ সমুখতে বাঁহবোৰ ফালি আছিল অনুৰণে। বাৰাণ্ডাত বহি লৈ ময়ূঁৰে ডাঠ কাগজৰ পোষ্টাৰ আৰু প্লে কাৰ্ডবোৰ লিখি আছে। অম্লানহঁতে টাউনৰ পৰা আনি সমুখৰ ৰুমতে থৈছেহি "ৰণদুন্দুভি" বুলি লিখি থোৱা ডাঙৰকৈ বেনাৰখন। প্ৰিয়ানুজে তদাৰক কৰি চাই আছিল গোটেইখিনি। মাজে মাজে তেজপুৰৰ স্থানীয় সাংবাদিক দুই এজনৰ লগত ফোনত কথাও পাতি আছে। সকলো ভবা মতে হৈছিল যদিও ক'ৰবাত মনত সন্দেহ ৰৈ গৈছিল প্ৰিয়ানুজৰ। চিন্তাক্লিষ্ট বদনেৰে শৰাইঘাটৰ আগফালৰ চোফাখনত বহি থকা প্ৰিয়ানুজক অম্লানে সুধিলে,

"কি হ'ল প্ৰিয়ানুজ দা? আপুনি টেনশ্যনত থকাৰ নিচিনা লাগিছে যে।"

হুঁমুনিয়াহ এটা সৰাই প্ৰিয়ানুজে ক'লে,

"চিন্তাতো হৈছেই অম্লান। ফাইনেল চলি থকাৰ মাজত পঢ়া বাদ দি আমাৰ ষ্টুডেণ্টবোৰ ওলাই আহিব জানো?"

প্ৰিয়ানুজৰ চিন্তা যে অমূলক নহয় অম্লানেও জানে। প্ৰথম কথা হ'ল তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰায় বিছ শতাংশ ষ্টুডেণ্ট অসমৰ বাহিৰৰ। তাতকৈ বেছি হ'লেও কম নহয়। কিছুমানতো ভাৰতৰো নহয়। গতিকে সেই খিনি ষ্টুডেণ্টে কেব নো কি, অসম চুক্তিনো কি একোৱে নাজানে। গতিকে নিজৰ পঢ়া সময় খৰছ কৰি কি যুক্তিত সিহঁত প্ৰতিবাদ কৰিবলৈ আহিব! দ্বিতীয়তে যিখিনি অসমৰ ষ্টুডেণ্ট আছে, তাৰো আধাই এইবোৰৰ পৰা আঁতৰত। কেৱল পঢ়িবৰ বাবেহে আহিছে ইয়ালৈ। সিহঁতৰ পৰাতো আৰু আশা কৰিব নোৱাৰি। যি সময়ত গোটেই ৰাজপথ মানুহে ভৰি গৈছে, পুলিচ প্ৰশাসনেও শাসন কৰিব নোৱাৰাকৈ প্ৰতিবাদ হৈছে তেনেকুৱাত মাত্ৰ আঙুলিৰ মূৰত গণিব পৰা কেইজন মান ষ্টুডেণ্টে যদি প্ৰতিবাদ কৰে তেন্তে খুব বেয়া মেচেজ এটা যাব। সেইবোৰকে চিন্তা কৰি পাৰ পোৱা নাই প্ৰিয়ানুজহঁতে।

"চিন্তা নকৰিবা। চাই থাকা আজি ইউনিভাৰ্চিটীত হিষ্ট্ৰী চেঞ্জ হ'ব।"

সিদ্ধাৰ্থই ভিতৰৰ পৰা আহি ক'লে। বাৰাণ্ডাৰ পৰা পোষ্টাৰ কেইখন আনি ময়ূঁৰেও ক'লে,

"ঠিকেই কৈছে সিদ্ধাৰ্থ দাই। যদি মানুহৰ প্ৰটেষ্ট কৰিবলৈ মন নাথাকিলহেঁতেন তেন্তে চাৰিটাকৈ হোৱাটচ এপ গ্ৰুপ আধা ঘণ্টাত ফুল নহ'লহেঁতেন।"

হয়, ময়ূঁৰৰ কথাটোও ঠিক। ছচিয়েল মিডিয়াত ভবাতকৈও বহু সঁহাৰি পাইছিল সিহঁতে। তাৰ ওপৰতে ভৰষা কৰি এই পদক্ষেপটো লৈছে। যি হওঁক, কথাৰ মাজেৰেই কামবোৰ কৰি গ'ল সিহঁতে। গোটেই দিনটো কাৰো পঢ়া নহ'ল। সন্ধিয়াৰ সময়টোলৈ যেন আগ্ৰহেৰে অপেক্ষাত ৰৈছিল কাঞ্চনৰ চহৰখনে।

চৌহদটোক এন্ধাৰে আৱৰাৰ লগে লগে Essential লৈ গৈছিল প্ৰিয়ানুজ, ময়ূঁৰহঁত। বাঁহবোৰ থূপ খোৱাই থৈছিল এঠাইত। এজন দুজনকৈ মানুহ আহি আছিল। কোনো কোনোৱে ওচৰতে জুম বান্ধি ৰৈ আলেখ লেখ চাই আছিল। ব্যস্ততাৰে কামবোৰ কৰি আছে সিদ্ধাৰ্থহঁতে। তেজপুৰ টাউনৰ পৰা দুজন মানুহ অহাৰ কথা। এজন দৰং কলেজৰ

Kaushik

প্ৰফেচাৰ আছিল হ'বলা। এতিয়া ৰিটায়াৰ। কোনোবা এটাই গৈ মাইকত গান এটা লগাই দিলে,

"লুইতৰ পাৰৰে তুমি ডেকা ল'ৰা

তুমিয়েতো বুকু পাতি দিলা

ভাৰতীৰ নুমলীক জী বচাবলে

তুমিয়েতো মৃত্যু বৰিলা

শ্বহীদ প্ৰণামো তোমাক....."

ভূপেন হাজৰিকাদেৱৰ গীতটোৱে মনবোৰ সেমেকাই তুলিছিল সকলোৰে। এটা আছিল সেই সময়, য'ত মাত্ৰ "আহ ঐ আহ" বোলোতেই লাখ লাখ মানুহ ওলাই আহিছিল। আৰু আজি সিহঁতবোৰে ভাবিব লগা হৈছে মানুহ আহিবনে বাৰু!

টাউনৰ মানুহ দুজন আহি পালেহি। ময়ূঁৰহঁতে পাৰি দিয়া চকীতে বহিল। ময়ূঁৰে এবাৰ ৰাস্তাৰ ফালে চাই হুঁমুনিয়াহ কাঢ়িলে। প্ৰিয়ানুজেও হতাশাৰ দৃষ্টিৰে তালৈ চাইছিল। নাই, সিহঁতে সন্দেহ কৰাৰ দৰেই হ'ল। মানুহ নাই। অলপ পাছতে সন্ধ্যা আৰু চন্দ্ৰালীহঁত ওলালহি।

"প্ৰিয়ানুজ দা, মানুহবোৰৰ কি হ'ল? ইমান কম যে!" সন্ধ্যা আচৰিত হৈছিল।

"উপায় নাই। নালাগে দিয়া। আমি যিমান খিনি আছোঁ আমিয়েই যাম। অন্ততঃ নিজৰ ওচৰত মূৰ দাঙি থাকিব পাৰিম।"

প্ৰিয়ানুজৰ মাতটো থোকা থুকি হৈছিল। চন্দ্ৰালীৰো চকু সেমেকিছিল।

যি হওঁক, যিখিনি মানুহ গোট খাইছে সেইয়াৰেই আৰম্ভ কৰিলে অনুষ্ঠান। চন্দ্ৰালীয়ে প্ৰথমতে টাউনৰ পৰা অহা মানুহ কেইজনক চিনাকি কৰাই দিলে। লগতে তেওঁলোকক একোখনি গামোচাও পিন্ধোৱা হ'ল। তাৰ পাছতে তেওঁলোকে বক্তৃতাৰ দৰে দুই এষাৰ ক'লে কেবৰ ভয়াৱহতাৰ বিষয়ে। কঁকালত গামোচা এখন মাৰি পাটকাইৰ মেনিয়েল পুতুকণো ওলালহি। আহিয়েই প্ৰিয়ানুজক মাত লগালেহি সি। প্ৰিয়ানুজৰ ভাল লাগিল। এই যে ল'ৰাটো, কেবৰ ফুল মিনিংটোও ভালকৈ নাজানে চাগে সি। তথাপি সি দেখি শুনি যি বুজিছে সেয়াৰেই ওলাই আহিছে।

ভাষণৰ অন্তত মানুহজনে ক'লে,

Kaushik

"এতিয়া আমি সকলোৱে জোঁৰ লৈ সমদলত আগবাঢ়িম।"

কথাটো কৈয়ে তেওঁ শ্লোগান দিলে,

"জয় আই অসম"

লগে লগেই গোটেই Essential কঁপাই থূপ খাই থকা ল'ৰা ছোৱালীখিনিয়ে চিঞৰি উঠিল,

"জয় আই অসম"

"জয় আই অসম"

তাৰ পাছতে সকলোৱে এডাল এডাল জোঁৰ লৈ ল'লে। অল্পানহঁতে জোঁৰবোৰ জ্বলাই সকলোকে দি গৈছিল। অজিত আৰু প্ৰীতমে ৰণদুন্দুভি বুলি লিখি থোৱা ৰঙা ডাঙৰ বেনাৰখন দুফালে ধৰিলে। চাওঁতে চাওঁতে মানুহে ভৰি পৰিল Essential। সেই "জয় আই অসম" শাৰীটোত কি এনে যাদু আছিল কোনেও নাজানে। কেই মূহুৰ্তমানৰ ভিতৰতে ঠাইখিনি মানুহে নধৰা হৈ পৰিল। প্ৰিয়ানুজ, ময়ূঁৰ, সন্ধ্যাহঁত আচৰিত হৈ গৈছিল। এনেকৈ ইমানবোৰ মানুহ হ'ব বুলিতো সিহঁতে সপোনতো ভবা নাছিল। শেষত গৈ জোঁৰে নটাই হ'ল। উৎফুল্লিত হৈ ময়ূঁৰে চিঞৰি দিছিল এবাৰ,

Kaushik

"জয় আই অসম"

এইবাৰ আগতকৈও অধিক শব্দৰে গৰজিছিল essential। সকলোৱে একমুখে চিঞৰি উঠিছিল,

"জয় আই অসম"

চকু পানী বাগৰি আহিছিল সন্ধ্যাৰ। এইখন essentialতে এদিন সুনীতাই তাইক অসমীয়াত কথা কোৱাৰ বাবে ইংৰাজী নাজানে বুলি ঠাট্টা কৰিছিল। আৰু আজি সেই একেই ঠাই সিহঁতে অসমৰ জয়গানেৰে কঁপাইছে।

সকলোৰে দৰে সন্ধ্যাইও জোঁৰ এডাল লৈ আগবাঢ়িল। ভিৰত বিৰ দি বাটো নোপোৱা অৱস্থা হৈছিল ঠাইখিনিত। থেলা হেঁচাৰ মাজত হঠাৎ জোঁৰ ডাল খহি পৰিব লওঁতেই পিছফালৰ পৰা থাপ মাৰি ধৰিছিলহি অনুৰণে,

"ভালকৈ অলপ"

সন্ধ্যাই মিচিকিয়ালে। ক'ৰবাৰ পৰা জানো পুতুকণে আহি চিঞৰি উঠিল,

"অ' ৰোমাঞ্চ পাছত, ৰোমাঞ্চ পাছত। এতিয়া আন্দোলন।"

"ঐ, চৰ লাগে? ক'ত ৰোমাঞ্চ দেখিলি?"

সন্ধ্যাৰ ধমক খাই পুতুকণ লুকাই পৰিল ভিৰৰ মাজত। সন্ধ্যাইও আগফাল পালেগৈ। Essentialৰ পৰা আগবাঢ়িল সমদলটো। বেনাৰখন দুমূৰে অজিত দা আৰু প্ৰীতমে ধৰি গৈছে। মানুহ দুজনক সোঁমাজত লৈ কাষত এফালে সিদ্ধাৰ্থ আৰু প্ৰিয়ানুজ, আনফালে সন্ধ্যা আৰু চন্দ্ৰালী। আগত শ্লোগান দি দি গৈ আছে অম্লান আৰু হিমাদ্ৰী। এবাৰ পিছ ফালে ঘূৰি চাইছিল সন্ধ্যাই। মণিব পৰালৈকে কেৱল মানুহ। অথনিতকৈ এতিয়া আৰু গোট খালে। কেৱল জুইৰ শিখাবোৰ হে জিলিকি আছে দূৰ দূৰলৈকে। কাঞ্চন যেন আজি জুই হৈ ফুলিছে। জুইৰ ওথ ওথ ৰঙা শিখাবোৰে কৈ গৈছে তেজীয়ানৰ স্বাভিমান। শ্লোগানেৰে কঁপিছে গোটেই চৌহদটো,

"আহ ঐ আহ, ওলাই আহ"

"খেদ ঐ খেদ, বিদেশী খেদ"

"কেন্দ্ৰীয় চৰকাৰ হুঁচিয়াৰ"

"অসম চৰকাৰ হুঁচিয়াৰ"

"তুমি যদি অসমীয়া

আমাৰ লগত যোগ দিয়া"

"অসম কাৰ, অসমীয়াৰ"

তেজে যেন উতলি উঠিছে আজি। শ্বহীদৰ আত্মা যেন তৃপ্ত হৈছে আজি। বিষ্ণু ৰাভাই যেন সাৰ পাই জাগিছে আজি। সেউজীয়াবোৰৰ মাজে মাজে আগবাঢ়িছিল জুইৰ ভয়ানক ৰঙা ৰঙা শিখাবোৰ। ষ্ট্ৰীট লাইটক ঠাট্টা কৰি জুইৰ পোহৰেৰে ৰঙা হৈ পৰিছে গোটেই চৌহদটো। জুইতকৈও অধিক উজ্জ্বল হৈ জ্বলিছিল প্ৰতিজন শিক্ষাৰ্থীৰ চকু। সমদলটোত দুহেজাৰতকৈও অধিক ষ্টুডেন্ট আছিল। কিছু সংখ্যক প্ৰফেচাৰো। তাত কোনো হিন্দু নাই, কোনো মুছলিম নাই, কোনো বঙালী নাই, কোনো নেপালী নাই। আছে মাত্ৰ অসমীয়া। অসমক পাগলৰ দৰে ভাল পোৱা এজাক তেজাল অসমীয়া।

Kaushik

গোটেই ইউনিভাৰ্চিটীৰ চৌহদত ঘূৰি সমদলটো মেইন গেটলৈ আগবাঢ়িছিল। তাৰ পৰা ঘূৰি আহি ৰৈছিলহি কে বি আৰৰ বাকৰিত। কে বি আৰ অডিটৰিয়ামৰ সমুখত থকা বিষ্ণু ৰাভাৰ প্ৰতিমূৰ্তিত চাকি, মম জ্বলাই সকলোৱে তাতেই মাটিত লেপেটা কাঢ়ি বহিল। গোটেই প্ৰতিবাদটোত আগভাগ লোৱা প্ৰিয়ানুজহঁত অডিটৰিয়ামৰ বাৰাণ্ডাত উঠিল। তাতেই মাইকৰ ব্যৱস্থা কৰাও আছিল। তাত উঠিয়ে উদাত্ত কণ্ঠেৰে ভাষণ দিছিল প্ৰিয়ানুজে,

"এশ নহয় দুশ নহয় আঠশ পচপন্নজনৰ তেজেৰে লিখিত এই অসম চুক্তি। সেই চুক্তি ভৰিৰে মোহাৰি এইখন চৰকাৰে বিদেশী আনিবলৈ ওলাইছে" বুলি আৰম্ভ কৰি নাগৰিকত্ব বিধেয়কখননো কি, তাৰ বাবেনো আমাৰ কি কি ক্ষতি হ'ব সেয়া খুব তন্ন তন্নকৈ বুজাই দিছিল প্ৰিয়ানুজে। কে বি আৰৰ গোটেই চোতাল মানুহেৰে ভৰি পৰিছিল। মাটিয়ে বালিয়ে বহিও কোনো উঠি যোৱা নাছিল। প্ৰিয়ানুজৰ পাছত হিমাদ্ৰীয়েও ক'লে,

"বৰ অসমখন ভাঙি সাত টুকুৰা হৈ গ'ল আমি একো কৰিব নোৱাৰিলোঁ, কচাৰী ৰজাৰ ডিমাপুৰ কাঢ়ি লৈ গ'ল আমি একো কৰিব নোৱাৰিলোঁ। আৰু এতিয়া আমাৰ বৰভেঁটি ভাঙিবলৈ লৈছে। আমি হাত সাৱটি বহি থাকিম নে?"

ভাষণৰ শেষৰ ফাললৈ মাতটো থোকাথুকি হৈছিল হিমাদ্ৰীৰ। তাৰ পাছতে ময়ূঁৰে এবাৰ কবিতা আবৃত্তিও কৰিলে,

"সুবিধাবাদীৰ দল

তোৰ মিছা হ'ব কৌশল

ৰাইজৰ তই সেৱা চোৰ কৰি বঢ়াব খুজিছ বল...."

সন্ধ্যাইও শ্বহীদ প্ৰণামো তোমাক গীতটি গাইছিল। লগতে আন আন দুই এজনেও কবিতা আৰু গীত পৰিৱেশন কৰিলে। শেষত চন্দ্ৰালীয়ে সকলোকে ওলাই অহাৰ বাবে ধন্যবাদ দিছিল,

"ফাইনেল পৰীক্ষাৰ মাজত এইদৰে আমি সকলো ওলাই অহাটোৱেই বুজাই অসমক ভাল পোৱা মানুহ এতিয়াও শেষ হৈ যোৱা নাই। মই কোনো গধূৰ ৰাজনৈতিক কথা বুজি নাপাওঁ, কিন্তু আইৰ মুখৰ ভাষাটো যদি নোহোৱা হ'বলৈ হয় কোনসতে জীয়াই থাকিম আমিবোৰ।"

Kaushik

কান্দি কান্দি বহি পৰিবলৈ ধৰা চন্দ্ৰালীক সাৱটি ধৰিছিল সন্ধ্যাই। চন্দ্ৰালীয়ে কৈ গৈছিল,

"আগলৈ এদিন নাতি পুতিক ক'ব পাৰিম, সেইদিনা পৰীক্ষা, হাড় কপোঁৱা জাৰ সকলো বাদ দি এজাক ল'ৰা ছোৱালী ওলাই আহিছিল। সেইজাক মোৰ আইৰ বুকুৰ ল'ৰা ছোৱালী। আইক সাৱটি ধৰিবলৈ সকলো সীমা নেওঁচি আহিছিল সিহঁত।"

এইবাৰ সন্ধ্যাইও ক'লে,

"বদনৰ পৰা লালুকসোলা লৈকে কোনো সাৰি যোৱা নাছিল। এই অসম ভূমিতেই নিজৰ আইক প্ৰৱঞ্চনা কৰাৰ ফল পাই গৈছিল। শাসকগোষ্ঠীক আমি সকিয়াই দিছোঁ, এইয়া কেৱল ৰণৰ দুন্দুভিহে।"

লগে লগে "জয় আই অসম" ধ্বনিত আকৌ কঁপিছিল আকাশ বতাহ।

Kaushik

তাৰ পাছতে অনুষ্ঠানৰ সামৰণি। সকলো এটা এটাকৈ হোষ্টেল গৈছিল গৈ। অডিটৰিয়ামৰ খালী বাকৰিটোত ৰৈ গৈছিল অনুৰণ, প্ৰিয়ানুজ, ময়ূঁৰ, সন্ধ্যা আৰু চন্দ্ৰালী। কলাগুৰু বিষ্ণু ৰাভাৰ প্ৰতিমূৰ্তিৰ সমুখত থকা চাকিগছত অলপ তেল ঢালি শলিতা ডাল আগুৱাই দিছিল সন্ধ্যাই।

"আমি ভুল ভাবিছিলোঁ সন্ধ্যা। অসমক ভাল পোৱা মানুহৰ অভাৱ আগতেও হোৱা নাছিল এতিয়াও হোৱা নাই। মাত্ৰ আগবঢ়াই নিয়া মানুহ লাগে।"

প্ৰিয়ানুজৰ কথাৰ লগে লগে সকলো আগবাঢ়ি আহিছিল বিষ্ণু ৰাভাৰ মূৰ্তিটোৰ ওচৰলৈ। আজি যেন মূৰ্তিটো অধিক উজলি উঠিছে। চকু কেইটা যেন সজল হৈ তিৰবিৰাইছে। এৰা, আজি তেজপুৰ বিশ্ববিদ্যালয়ত ইতিহাসৰ ৰচনা হ'ল। মৌনতাৰ পৰা কোলাহললৈ, নীৰৱতাৰ পৰা হুংকাৰলৈ সন্ধ্যাহঁত সাক্ষী হৈছিল কাঞ্চনৰ চহৰখনৰ এক বৰ্ণিল যাত্ৰাত। দুহেজাৰৰো অধিক ছাত্ৰ ছাত্ৰীয়ে আজি প্ৰথম বাৰলৈ গুজৰি উঠিল ইয়াত। প্ৰমাণ কৰি দিলে বিষ্ণু ৰাভাৰ তেজ এতিয়াও অসমীয়াৰ শিৰাই শিৰাই বৈ আছে। অসম অসমীয়াৰ আছিল আৰু অসমীয়াৰে হৈ থাকিব। হাতৰ মুঠিবোৰ দৃঢ় হৈ আহিছিল সন্ধ্যাহঁতৰ। বিষ্ণু ৰাভাৰ মূৰ্তিটোৰ তলৰ চাকি কেইগছ বতাহত ভমককৈ জ্বলি উঠিল। চাকিৰ পোহৰে মূৰ্তিটোৰ দৰেই পোহৰাই তুলিছিল সন্ধ্যাহঁতৰ মুখবোৰো। ৰাস্তাৰে যোৱা কোনোবা এটাই আওঁৰাই গৈছে সেই বিশেষ কবিতাটো,

".....তুমি সাৰে আছা,

সাৰে আছে আৰু জাগ্ৰত জনতা,

নিদ্ৰাবিহীন ৰাতি

বিষ্ণু ৰাভা, এতিয়া কিমান ৰাতি....."

(আগলৈ)

#নিৰিবিলি

Part 114

"প্ৰথম বাৰলৈ তেজপুৰ বিশ্ববিদ্যালয়ত উত্তাল প্ৰতিবাদ"

"ৰণদুন্দভি বাজিল তেজপুৰ ইউনিভাৰ্চিটীতো"

"জয় আই অসম ধ্বনিত কঁপিল তেজপুৰ বিশ্ববিদ্যালয়ৰ চৌহদ"

"তেজপুৰ ইউনিভাৰ্চিটীৰ শিক্ষাৰ্থীৰ গৰ্জনে পোনপ্ৰথম বাৰৰ বাবে কঁপালে ৰাজ্য"

কি বাতৰিকাকত, কি টিভি চেনেল, কি ফেচবুক সকলোতে তোলপাৰ লাগিছিল। তেজপুৰ ইউনিভাৰ্চিটী ; য'ত নাই কোনো ছাত্ৰ একতা সভা, য'ত নাই কোনো ছাত্ৰ সংগঠনৰ নেতা, য'ত এক তৃতীয়াংশ ছাত্ৰ ছাত্ৰীয়েই অসমৰ বাহিৰৰ সেইখন শিক্ষানুষ্ঠানতো এনে এক বৃহৎ প্ৰতিবাদ সমগ্ৰ অসমৰ বাবেই অপ্ৰত্যাশিত আছিল। গোটেই অসমত খবৰটো বিয়পি পৰাৰ লগে লগেই সকলোৱে একমুখে প্ৰশংসা কৰিছিল তেজপুৰ ইউনিভাৰ্চিটীৰ ছাত্ৰ ছাত্ৰীসকলক। কটন, গুৱাহাটী ইউনিভাৰ্চিটীৰ পৰাও ফোন আহিছিল প্ৰিয়ানুজহঁতলৈ। ডিব্ৰুগড় ইউনিভাৰ্চিটীৰ পৰা গাৰ্গীয়ে ফোন কৰিছিল সন্ধ্যালৈ,

"সন্ধ্যা, এতিয়াও বিশ্বাস হোৱা নাই যে টি ইউত ইমান এটা হিউজ প্ৰটেষ্ট হৈ গ'ল। তোমালোকে কঁপাই দিছা ভাই।"

দিল্লীত পাগলৰ দৰে হৈ গৈছিল অভিমন্যু। প্ৰিয়ানুজ, ময়ূঁৰহঁতলৈ ফোন কৰিছিল প্ৰটেষ্ট শেষ হোৱাৰ পাছতে,

Kaushik

"প্ৰিয়ানুজ দা, হিৰো আপুনি হিৰো। আমাৰ ইউনিভাৰ্চিটীত প্ৰটেষ্ট তাকো গৱৰ্ণমেন্টৰ এগেইনষ্টত। আজি এনেকুৱা ফিল হৈছে কিয় যে নাথাকিলোঁ মই তাত। আজিৰ দিনটোত দৌৰি যাবলৈ মন গৈছে তালৈ।"

হায়দৰাবাদৰ পৰা তৌফিকে ফোন মাৰি কৈছিল,

"যিমান আছে প্ৰটেষ্টৰ ফুটেজ চব দিয়া। গোটেই খিনি লৈ মই নিজে নিউজ কৰিম।"

তাৰ পাছতে ই টিভি ভাৰতত বাজিছিল তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰতিবাদৰ বাতৰি। উজলি উঠিছিল কাঞ্চনৰ চহৰ ৰাজ্যৰ চুকে কোণে।

প্ৰতিবাদ কিন্তু এদিনতেই শেষ হোৱা নাছিল। যি সময়ত ৰাজ্যৰ আন আন ছাত্ৰ ছাত্ৰীয়ে ৰাজপথত নামি আন্দোলনেৰে অসম কঁপাইছিল সেই সময়ত তেজপুৰ ইউনিভাৰ্চিটীৰ শিক্ষাৰ্থীয়ে দেখুৱাইছিল প্ৰতিবাদৰ এক অন্য ৰূপ। আন্দোলনৰ বাবে প্ৰায় সকলো কলেজ নাইবা ইউনিভাৰ্চিটীৰে পৰীক্ষাসমূহ পিছুৱাই দিয়া হ'ল। কিন্তু কোনোপধ্যেই পৰীক্ষা নিপিছুৱাই তেজপুৰ বিশ্ববিদ্যালয়ে। এজন পৰীক্ষাৰ্থী থাকিলেও পৰীক্ষা হ'বই। ফাইনেল পৰীক্ষাত ক্ষতি কৰাৰ অৰ্থ কি হ'ব পাৰে সকলোৱে জানে। তেনে ক্ষেত্ৰত ছাত্ৰ ছাত্ৰীসকলে বিচাৰি লৈছিল অন্য এক বিকল্প। পৰীক্ষাৰ মাজেৰে প্ৰতিবাদ।

Kaushik

পিছদিনাই পুনৰ হাতে হাতে বেনাৰ পোষ্টাৰ লৈ প্ৰায় এহেজাৰৰো অধিক শিক্ষাৰ্থীয়ে ধৰ্মঘটত বহিছিল ইউনিভাৰ্চিটী গেটৰ সমুখত। পৰুৱাৰ দৰে অগণন ছাত্ৰ ছাত্ৰীৰ ভিৰত বিশ্ববিদ্যালয়ৰ প্ৰশাসনো বাধা দিয়াত অপাৰগ হৈছিল। সকলোৰে এটাই স্থিতি যে কেব বাতিল নোহোৱা পৰ্যন্ত এই প্ৰতিবাদ চলিবই। কিন্তু তাৰ লগতে পৰীক্ষাৰ বাবেও সচেতন আছিল প্ৰতিজন। সেইবাবে প্ৰতিবাদলৈ অহাৰ সময়তো হাতে হাতে কিতাপ লেপটপ লৈ আনিছিল সকলোৱে। প্ৰতিবাদৰ মাজতো পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছিল। সময় পাৰ হৈছিল। ৰাতি দুটা তিনিটা বজাটো তেজপুৰ বিশ্ববিদ্যালয়ৰ জ্যোতি তোৰণৰ ওচৰত একেই ভিৰ। হাতে হাতে কিতাপ বহী লৈ বহি গৈছিল সকলো। প্ৰতিবাদ আৰু পৰীক্ষা একেটা সময়তে চলাই এক অনন্য আদৰ্শ দেখুৱাইছিল তেওঁলোকে। এফালে ডিচেম্বৰৰ হাড় কঁপোৱা শীত। তেও যেন কাৰো সেইবোৰলৈ কেৰেপ নাই। আজি কোনো এজনী ছোৱালীৰ ইন টাইমৰ ভয়ো নাই মনত। "দেশ বুলিলে নালাগে আদেশ" বাক্যশাৰীকেই যেন শিৰোধাৰ্য কৰি লৈছিল সকলোৱে। মাজে

মাজে "জয় আই অসম" ধ্বনিৰে কঁপাই তোলে চৌহদ। যেন অসমীক ক'ব খুজিছে, "আই, আমি সাৰে আছোঁ।"

সকলোৰে লগত সন্ধ্যাও বহি আছিল তাতেই। হাতত তাইৰ আমেৰিকান লিটাৰেচাৰৰ কিতাপ এখন। ৰঙা শ্বল এখন গাত মেৰিয়াই কিতাপখন পঢ়ি আছিল তাই। শ্বলখন আছে যদিও কুঁৱলীত ঠাণ্ডা পাই কঁপি আছিল। হাতবোৰ ঠেৰেঙা হৈ পৰিছে। খুব কষ্টেৰে পঢ়াত মন বহাবৰ চেষ্টা কৰিছে। এনেতে অনুৰণ তাইৰ ওচৰ পালেহি,

"এই কাপ খাই লোৱা।" ,অনুৰণৰ হাতত লাল চাহ একাপ। সন্ধ্যাই হাত পাতি ল'লে,

"ক'ত পালা চাহ?"

"কোনোবাই কৰি আনিছিল হোষ্টেলৰ পৰা।"

চাহৰ মাজতে কাহ মাৰি উঠিল সন্ধ্যাই।

"বেছি ঠাণ্ডা লাগিছে?" অনুৰণে সুধিলে।

"নাই, অলপ।"

"তুমি হোষ্টেল যোৱাগৈ নহ'লে। বেমাৰ হ'লে--"

অনুৰণৰ কৈ নহওঁতেই সন্ধ্যাই ক'লে,

"কিবা হৈছে নেকি? কিয় যাম হোষ্টেল?"

সন্ধ্যাক বুজাই লাভ নাই বুলি গম পাই উঠি আহিল অনুৰণ।

ইউনিভাৰ্চিটীৰ তোৰণেৰে সোমাই আহিয়ে ভিতৰলৈ অহা দীঘলীয়া ৰাস্তাটোৰ দুয়োকাষে অলপ খালী ঠাই আছে। ঠাইখিনিত ওখ ওখ গছ। নাহৰ আৰু আন কিবা। ৰাস্তাৰ কাষৰ সেই খালী ঠাইখিনিতেই গছৰ শুকান ডাল কেইটা মান চাই গোটালে অনুৰণে। তাৰ মনোভাৱৰ অনুমান কৰি আন ল'ৰা দুটামানেও সহায় কৰিলে। তাৰ পাছতে পকেটৰ লাইটাৰেৰে শুকান ডাল কেইটাত জুই লগাই দিলে। লগে লগে ডাল কেইটা মৰমৰাই জ্বলি উঠিল। ঠাণ্ডাৰ মাজৰ জুইকুৰা দেখি বহু কেইজন উঠি আহিছিল সেই খিনিলৈ।

"ঐ ছোৱালী, অলপ জুইৰ সেক লৈ লোৱা। আৰাম পাবা।" অনুৰণে সন্ধ্যাৰ ওচৰলৈ গৈ ক'লে। পঢ়ি থকা কিতাপখন জপাই সন্ধ্যাই ক'লে,

Kaushik

"তুমি ইয়াত প্ৰতিবাদ কৰিবলৈ আহিছা নে আৰাম কৰিবলৈ?"

"প্ৰতিবাদ কৰিবলৈকেতো সুস্থ হৈ থাকিব লাগিব ন। বেমাৰী হ'লে ক'ত আন্দোলন কৰিব পাৰিবা? আহা।"

কথাটো কৈ হাতখন আগবঢ়াই দিছিল অনুৰণে। সন্ধ্যাই তাৰ হাতত ধৰি থিয় হ'ল। তাৰ পাছতে জুইৰ ওচৰত আহি বহিলহি। প্ৰিয়ানুজ, হিমাদ্ৰীহঁতো আছিল তাতে। সকলোৰে মাজত কেবক লৈয়ে আলোচনা। ইমানৰ পাছতো যে চৰকাৰৰ গা লৰা নাই সেইটো লৈয়ে আচৰিত সকলো। ইঞ্জিনিয়াৰিঙৰ উদিত্যই কৈছিল,

"ফেচবুকটো চাব নোৱাৰি। গুৱাহাটীত ষ্টুডেন্টবোৰৰ ওপৰত কি অত্যাচাৰ। লাঠিৰে কোবাইছে জানেনে।"

হয়, সন্ধ্যাইও দেখিছে ভিডিঅ' বোৰ। শুনিছে ঠায়ে ঠায়ে হেনো কাৰ্ফিউ, ১৪৪ ধাৰা জাৰি কৰিছে প্ৰশাসনে। পৰিস্থিতিৰ দিনে দিনে অধিক অৱনতি ঘটিছে।

"ভগৱানে নকৰক অসম আন্দোলনৰ দৰে যেন নহওঁক।" চন্দ্ৰালীৰ কথাত প্ৰিয়ানুজে ক'লে,

"মোৰতো সেইটোৱেই ভয় লাগিছে। আগৰ দৰে যেন আমি কাকো হেৰুৱাব লগা নহয়।"

"দাদা, চৰকাৰখনে বাৰু বুজিবনে ৰাইজৰ এই কষ্টবোৰ?"

ৰক্তিমৰ কথাৰ উত্তৰ দিবলৈ গৈ বুকুখনত কিবা এটাই খুন্দা মাৰি ধৰিছিল প্ৰিয়ানুজৰ। নাজানে, সিও নাজানে সময় আৰু কিমান বেয়ালৈ যাব। কিন্তু এইয়া যে মাত্ৰ আৰম্ভণি সেয়া গম পোৱা গৈছে ৰজাঘৰৰ ক্ৰিয়া কৰ্মতে।

কথাৰ মাজেৰেই ৰাতিপুৱাও পুৱাও হৈছিল। প্ৰিয়ানুজে সকলোৰে শুনাকৈ কৈছিল,

"এতিয়া সকলো হোষ্টেললৈ যোৱা। পৰীক্ষা দি আহি আবেলি আমি আকৌ লগ হ'ম।"

গোটেই ৰাতি উজাগৰে থাকিও পিছদিনা পৰীক্ষাত বহা ছাত্ৰ ছাত্ৰীক দেখি বুকু কঁপি গৈছিল প্ৰফেচাৰৰো।

Kaushik

পৰীক্ষা দি আহি হোষ্টেলত অলপ জিৰাই আকৌ সকলো ওলাই আহিল। হোৱাটচ এপৰ গ্ৰুপকেইটাৰ বাবে সহায় হৈছিল বহুখিনি। প্ৰিয়ানুজ আৰু সিদ্ধাৰ্থহঁতে কথা পাতি সকলোকে মাতিছিল কমিউনিটী হললৈ। কালিয়েই লোকসভাত দাখিল কৰা নাগৰিকত্ব সংশোধনী বিধেয়কৰ আজি শুনানি। গোটেই ৰাজ্যত উতপ্ত প্ৰতিবাদ যাতে কোনো কাৰণতে বিলখন পাছ কৰা নহয়। সকলোতে দোকান পোহাৰ চব বন্ধ। টাউনৰ অলিয়ে গলিয়ে কেৱল "জয় আই অসম" আৰু "আহ ঐ আহ" ধ্বনি। ঠায়ে ঠায়ে জুই জ্বলিছে। ক'ৰবাত ক'ৰবাত চৰকাৰী অফিচ কাছাৰীও ভাঙি চুৰমাৰ কৰিছে আবেগিক জনতাই। ছাত্ৰ ছাত্ৰীৰ লগতে ওলাই আহিছিল অসমৰ শিল্পী সমাজো। জুবিন গাৰ্গৰ নেতৃত্বত ৰাজপথত নামি পৰিছিল সকলো। কি গায়ক, কি অভিনেতা, কি পৰিচালক, কি নাট্যকাৰ কোনো বাকী নাছিল। শিল্পীসকলৰ সহযোগত অধিক মজবুত হৈ পৰিছিল আন্দোলন। সাহস পাইছিল ল'ৰা ছোৱালীখিনিয়ে। বিশ্বাসো আহিছিল সকলো লগ হৈছে যেতিয়া ৰজাঘৰে অলপ হ'লেও কথাবোৰ ভাবিব।

Kaushik

সন্ধিয়া হোৱাৰ লগে লগে কমিউনিটী হল সাক্ষী হৈছিল এক অন্য পৰিৱেশৰ। তবধ মানিছিল সন্ধ্যাহঁতে। কাইলৈও আছে পৰীক্ষা কিন্তু তাৰ মাজতো আজি ভৰি দিবলৈ ঠাই নোহোৱাৰ দৰে হৈছে কমিউনিটী হলত। গোটেই হলটোতো মানুহেৰে ভৰ্তিয়ে তাৰ লগতে ফিল্ডৰো এক অংশ ভৰি আছে। ষ্টেজটোত উঠাৰ লগে লগে বুকুত কিহবাই খুন্দা মাৰিছিল প্ৰিয়ানুজৰ। যোৱা প্ৰায় চাৰি বছৰ ধৰি সি এই ইউনিভাৰ্চিটীত আছে। জুবিনৰ পৰা যতীনলৈকে অনেক শিল্পী আহিছে ইয়ালৈ। কিন্তু আজিৰ দৰে মানুহৰ ভিৰ কমিউনিটী হলত কেতিয়াও হোৱা নাই। আবেগিক হৈ প্ৰিয়ানুজে কৈছিল,

"সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল, মাতৃভাষাই এটা জাতিৰ সিংহদুৱাৰ। তেখেতৰ সুৰতে সুৰ মিলাই ক'ব খোজো যেতিয়ালৈকে বুকুত প্ৰাণ থাকিব অসমৰ কাৰণে জীয়াম অসমীয়াৰ কাৰণে জীয়াম। কোনো চৰ্তৰ বিনিময়ত কেব মানি লোৱা নহ'ব। কেব আমি নামানোঁ।"

লগে লগে এজাক অসমীয়াৰ বুকুৰ পৰা ওলাই অহা গৰ্জনে কঁপাই দিছিল হলটো,

"কেব আমি নামানোঁ।"

তাৰ পাছতে সকলোৱে লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ ৰচিত জাতীয় সংগীত পৰিৱেশন কৰে,

"অ' মোৰ আপোনাৰ দেশ

অ' মোৰ চিকুণীৰ দেশ

এনেখন শুৱলা

এনেখন সুফলা

এনেখন মৰমৰ দেশ....."

চন্দ্ৰালী আৰু সন্ধ্যাহঁতে হুকহুকাই কান্দিছিল। অকল সিহঁতেই নহয়, বহুতেই উচুপিছিল গীতটি গোৱাৰ সময়ত। এইদৰে আগলৈও জাতীয় সংগীত ৰূপে "অ' মোৰ আপোনাৰ দেশ"টো গাব পাৰিবনে সিহঁতে! অস্তিত্বৰ সংকটত ভুগিছে আজি প্ৰতিজন অসমীয়াই।

কিন্তু নহ'ল। গোটেই অসমৰ জ্বলি থকা ছবিখন দেখিও বুকু নকঁপিল ৰজা ঘৰীয়াৰ। সন্ধিয়ালৈ খবৰ আহিল, লোকসভাত গৃহীত হ'ল কেব। কাইলৈ ৰাজ্যসভাত যদি গৃহীত হয় তেন্তে সেইখন বিল নহয়, এখন আইনলৈ পৰিণত হ'ব। অৰ্থাৎ কেব নহয় কা হ'বলৈ গৈ আছে অসমীয়া জাতিৰ স্বাভিমান ধূলিস্যাৎ কৰা বিলখন।

খবৰটো পোৱাৰ লগে লগে আকৌ উত্তাল হৈছিল প্ৰতিবাদ। গুৱাহাটী জ্বলি উঠিছিল। ৰাতিলৈ খবৰ আহিছিল কোনো কোনোৱে আহি ভাঙি পেলাইছিল কলাক্ষেত্ৰ। ক'ৰবাত ক'ৰবাত গুলিচালনাও কৰিছে আৰক্ষীয়ে। লাঠি চাৰ্জটো চলিয়েই আছে। ৰাজপথত বগৰাই বগৰাই কোবাইছে কলেজ ইউনিভাৰ্চিটীৰ ছাত্ৰ ছাত্ৰীক। কথাটো শুনিয়ে গৰজি উঠিছিল প্ৰিয়ানুজহঁত,

"কেনেকৈ পাৰিছে? নিজৰে ল'ৰা ছোৱালীক লাঠিৰে কোবাব কোন সতে পাৰিছে সিহঁতে। কিমান নিলাজ এইখন চৰকাৰ।"

আনদিনাৰ দৰে সেইদিনাও বহু ৰাতি লৈকে মেইন গেটত বহি আছে সন্ধ্যাহঁত। বিভিন্ন শ্লোগানেৰে জগাই আছিল গোটেই চৌহদটোক। এইবাৰ তেজপুৰ ইউনিভাৰ্চিটীৰ ইতিহাসত এইয়া প্ৰথম হৈছে যে ফাইনেল পৰীক্ষাৰ সময়ত উকা হৈ পৰি আছে লাইব্ৰেৰী। আগতে এনেকুৱা সময়ত ঔষধত দিবলৈও মানুহ এটা পোৱা নাযায়। তেনে এখন ঠাইত এই ৰাতি দুপৰলৈকে মেইন গেটত ঠাণ্ডাত কঁপি কঁপি শ শ ষ্টুডেণ্ট বহি থকাটোৱেই বুজাই অসমীয়া সদায় অসমীয়াই।

Kaushik

কথা পাতি পাতি উজাগৰে বহি থকাৰ মাজতে এবাৰ হিমাদ্ৰীৰ ফোনটো বাজিছিল। কটনৰ পৰা তাইৰ কোনোবা চিনাকিয়ে কৰিছে। কিয় জানো কিবা এটা আশংকাত বুকুখন কঁপি আছিল প্ৰিয়ানুজৰো। আজি লোকসভাত গৃহীত হোৱাৰ পাছতেই প্ৰতিবাদ আৰু জোৰদাৰ হৈছিল। তাৰ লগতেই ভয়ো লাগিছিল যাতে একো বেয়া খবৰ নাহে। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিবাদৰ পাছতেই কটনৰ পৰা ডিব্ৰুগড়লৈকে সকলোৱে ডাঁৰৰ বাতৰি ডাঁৰে দি থাকে। এখন সমন্বয়ৰ সেঁতু গঢ় লৈ উঠিছিল চাৰিওখন বিশ্ববিদ্যালয়ৰ মাজত। এই কেইদিনতে চাৰিওখন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী মিলি এখন ছাত্ৰ সমাজ গঠনৰ অভিৰ্ৱৰ্তনো পতাৰ কথা আছে। নিমন্ত্ৰণ আহিছে তেজপুৰ ইউনিভাৰ্চিটীলৈও। যাব লাগিব। কাউন্সিলৰ জিএচ, প্ৰেচিডেন্ট সাজু হৈছেও যাবলৈ। এই একতাৰ প্ৰয়োজন আছে এতিয়া। এনেবোৰ কথাতে গুৱাহাটীৰ পৰা ফোনকল আহি থাকে প্ৰায়ে। কিন্তু আজি অহা ফোনটোৱে কঢ়িয়াই আনিছিল বুকু ভাঙি যোৱা খবৰটো।

"কি???" বুলি জোৰেৰে চিঞৰি ঠাইতে বহি গৈছিল হিমাদ্ৰী। চন্দ্ৰালী আৰু সন্ধ্যাই সাৱটি ধৰিছিল তাইক। বহি থকা ল'ৰা ছোৱালীখিনি সন্ত্ৰস্ত হৈ চাইছিল। কি হৈছে কোনেও বুজা নাই। ভয়ে ভয়ে প্ৰিয়ানুজে সুধিলে,

"কি হৈছে হিমাদ্ৰী?"

কান্দি কান্দি হিমাদ্ৰীয়ে চিঞৰিলে,

"সিহঁতে এনেকুৱা কিয় কৰিলে প্ৰিয়ানুজ দা? আমি ভয় কৰাটোৱে হ'ল। মাৰি পেলালে এটা ল'ৰাক।"

বুকু ডেই গৈছিল সকলোৰে। লগে লগে কথাটো বনজুইৰ দৰে বিয়পি পৰিছিল। মাজৰাতিও তোলপাৰ লাগিছিল গোটেই অসমত। কেব বিৰোধী আন্দোলনে আই অসমীয়ে হেৰুৱাইছিল প্ৰথমটো সন্তান। পুলিচৰ গুলীত প্ৰাণ গৈছিল দীপাঞ্জল দাস নামৰ ল'ৰা এজনৰ। কোনোবা হোটেল নে কেন্টিনত কাম কৰিছিল ল'ৰাজনে। প্ৰস্তৰ মূৰ্তিৰ দৰে ৰৈ গৈছিল সকলো। আন্দোলনৰ প্ৰথমজন শ্বহীদ। ডিচেম্বৰৰ বতাহজাকো আজি যেন ভয়লগাকৈ বলিছে। বতাহৰ কোঁ কোঁ শব্দটোত যেন কাৰোবাৰ কান্দোন হে ভাঁহিছে। হিমাদ্ৰীৰ লগতে উচুপি উঠিল চন্দ্ৰালীয়েও। ফেঁকুৰি ফেঁকুৰি কান্দিছিল সন্ধ্যাই। চকুলো বাগৰিছে প্ৰিয়ানুজৰো। শেষ হৈ গ'ল এটা প্ৰাণ। এতিয়া বুকু গলিব নে

Kaushik

ৰজাঘৰীয়াৰ? নে এইয়া মাত্ৰ আৰম্ভণিহে? মনে প্ৰাণে কামনা কৰিছিল সকলোৱে দীপাঞ্জলেই যেন শেষ নাম হওঁক। কিন্তু কালৰাত্ৰি শেষ হোৱা নাছিল অসমীৰ।

পিছদিনাৰ পৰীক্ষাত তেজপুৰ বিশ্ববিদ্যালয়ে পুনৰ দেখুৱাইছিল অন্য এক নিদৰ্শন। পঢ়াৰ লগতে প্ৰতিবাদ চলোৱাৰ সিদ্ধান্ত লৈয়ে আজি সকলোৱে পৰীক্ষা দিবলৈ পিন্ধি আহিছে ক'লা কাপোৰ। এয়াও এক মৌন প্ৰতিবাদ। পৰীক্ষাত বহিছে, কিন্তু সকলোৰে পৰিহিত ক'লা কাপোৰ দেখি আচৰিত হৈছিল সকলো পৰীক্ষক। তাতকৈও আচৰিত হৈছিল পৰীক্ষাৰ উপস্থিতিৰ চহী লওঁতে। প্ৰতিজন ছাত্ৰ ছাত্ৰীয়ে চহী কৰিছিল অসমীয়াত। প্ৰথমে আচৰিত হৈছিল যদিও শেষত সকলোৰে চহী দেখি বুজিছিল প্ৰফেচাৰেও। তবধ মানিছিল এই একতা দেখি। এনে চানেকি তেজপুৰ ইউনিভাৰ্চিটীত সঁচাই বিৰল।

আচলতে সিদ্ধান্তটো কালি সেই ল'ৰাজনৰ মৃত্যুৰ খবৰটো অহাৰ পাছতে হ'ল। আনৰ দৰে ৰাজপথ কঁপাবগৈ নোৱাৰে তেজপুৰ ইউনিভাৰ্চিটীৰ শিক্ষাৰ্থীয়ে। কাৰণ পৰীক্ষা পাতিবই। সেয়েহে পৰীক্ষাতে প্ৰতিবাদ সাব্যস্ত কৰি ক'লা ৰং বিয়পাই দিলে গোটেই ইউনিভাৰ্চিটীত। যাৰ যাৰ নিজৰ নাই তেওঁলোকেও আনৰ পৰা লৈ হ'লেও ক'লা কাপোৰ পিন্ধি আহিছে। আজি পৰীক্ষা দিবলৈ অহাৰ সময়তে বুকুখন বিষাই আছিল প্ৰতিজনৰে। ৰাজ্যসভাতো চাগে গৃহীত হ'ব কেব। এফালে জাতিৰ বিশ্বাসঘাটকহঁতে আইক বেচিবলৈ ওলাইছে আনফালে সিহঁতে পৰীক্ষাত বহিবলৈ ওলাইছে। কোনসতে দিয়ে সিহঁতে পৰীক্ষা। সেইবাবেই এই ক'লা কাপোৰৰ প্ৰতিবাদ। সিহঁতৰ মনৰ অৱস্থাটো যেন কাপোৰত ওলাই পৰিছে। প্ৰফেচাৰ সকলেও বুজি পায়। কিন্তু কি কৰিব, উপায় কাৰো হাততে নাই। এইখনতো কটন নহয়। কিন্তু তাৰ মাজতো যে ষ্টুডেন্টখিনিয়ে ইমানলৈকে কৰিছে, সেয়ে বহুত।

পৰীক্ষা দি সোনকালেই ওলাইছিল সন্ধ্যা। আচলতে পৰীক্ষাত একো মনো বহা নাই তাইৰ। সৰুৰে পৰা ককাকহঁতৰ মুখত অসম আন্দোলনৰ কথা শুনিছে। দেউতাকেও কৰিছিল অসম আন্দোলন। কিন্তু সেই পৰিস্থিতি যে আকৌ অসমত হ'ব পাৰে সেয়া কেতিয়াও ভবা নাছিল। এইখন চৰকাৰকেই বৰপীৰা পাৰি বহোৱা নাছিল নে অসমীয়াই। আজি পৱিত্ৰ সদনৰ মজিয়াত "জয় বাংলাদেশ" বুলিও ক'ব পৰা হ'ল

kaushik

ক্ষমতাশালী নেতাই। কোনখন মুখেৰে তেওঁলোকে কয় বাৰু "আমি অসমীয়াৰ ভোট লৈ জিকা নাই"। এটা ডেকা ল'ৰাক গুলিয়াই শেষ কৰি দিয়া এইখন চৰকাৰৰ হৃদয় বোলা বস্তুটো কি নাই নেকি সঁচাই! বাকীবোৰতকৈ সন্ধ্যাহঁত কিমান যে অসহায়। দিল্লীতো অভিমন্যুহঁতে প্ৰতিবাদ কৰিছে বোলে পঢ়া শুনা বাদ দি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষকসকলো নামিছে প্ৰতিবাদত। কিন্তু ইয়াত সন্ধ্যাহঁতে পৰীক্ষাত বহিব লগা হৈছে। এফালে কেব নমনাৰ শ্লোগান দি এফালে ছিলেবাছৰ টপিক আওৰাব লগা হৈছে। কোনোবা সময়ত নিজলৈকে ধিক্কাৰ উপজে।

"ইমান সোনকালে ওলালা যে?"

কোন সময়ত আহি অনুৰণ ৰ'লহি সন্ধ্যাই গমেই নাপায়। কথাবোৰত তন্ময় হৈ আছিল তাই। অনুৰণৰ প্ৰশ্নত শেঁতা মাতেৰে ক'লে,

"দিবলৈয়ে মন নাছিল পৰীক্ষা। এই পৰীক্ষাটোৰ কাৰণেই আমি আন্দোলনত ভালকৈ ভাগেই ল'ব পৰা নাই। আমাৰে বয়সৰ ল'ৰাই পুলিচৰ গুলী খাই আছে। আৰু আমি পৰীক্ষা দি আছোঁ।"

মাতটো শেঁতা আছিল যদিও তাত সন্ধ্যাৰ ক্ষোভ প্ৰকাশ পাইছিল। অনুৰণে কি ক'ব ভাবি নাপালে। নিৰুত্তৰ হৈ ৰৈছিল মাত্ৰ সি। বহিছিল সন্ধ্যাৰ কাষতে। এনেতে সন্ধ্যাৰ চকুত পৰিল ডিপাৰ্টমেণ্টৰ ভিতৰৰ পৰা সিহঁতৰ ফাললৈকে আহি আছে অনুৰাধা আৰু জুৰিহঁত। তাইক অনুৰণৰ লগত দেখি আকৌ কিবা এষাৰ ক'ব জুৰিয়ে। এই সময়ত কাৰো লগত মুখৰ খজুৱতি মাৰিবলৈ মন নাই সন্ধ্যাৰ। সেইবাবে অনুৰণক "আহোঁ দিয়া" বুলি কৈ উঠি গুছি গ'ল সন্ধ্যা। অনুৰণো উঠিবলৈ লওঁতেই অনুৰাধা আহিল,

"পৰীক্ষা কেনেকুৱা হ'ল অনুৰণ?"

"গ'ল আৰু।" সি নিৰুদ্বেগ হৈ ক'লে। নোসোধাকৈয়ে অনুৰাধাই কৈছিল,

"মোৰ যে ভাল নহ'ল জানা নে, এই আন্দোলন বুলিয়েই পৰীক্ষাত ভালকৈ মনেই দিব পৰা নাই।"

"উমম" বুলি কৈ যাবলৈ ওলাইছিল অনুৰণ। অনুৰাধাই তাক হাতত ধৰি ৰখালে,

"ৰ'বাচোন। ইমাননো কি লৰালৰি? সন্ধ্যাৰ লগত চোন পাতিয়ে আছিলা কথা।"

Kaushik

অনুৰণে খুব সহ্যৰে একো নকৈ মনে মনে থাকিল। অনুৰাধাই আকৌ মাতটোত অভিমানৰ সুৰ সানি ক'লে,

"কি পাতি আছিলা নো তাইৰ লগত? মোৰ লগত হ'লে পাতিব নোৱাৰা? মইনো কি বেলেগ?"

ধৈৰ্যৰ বান্ধ ছিগিছিল অনুৰণৰ এইবাৰ। অনুৰাধাৰ হাতখন আঁতৰাই গহীন মাতেৰে কৈছিল,

"সন্ধ্যাই কৈছিল পৰীক্ষাৰ বাবে আন্দোলনত ভাগ ল'ব পৰা নাই। আৰু তুমি ক'লা আন্দোলনৰ বাবে পৰীক্ষাত মন দিব পৰা নাই। এইখিনিতেই কথাবোৰ বেলেগ। সেইবাবেই তাই সন্ধ্যা আৰু তুমি অনুৰাধা। আহোঁ দিয়া। আবেলি আকৌ ওলাই আহিব লাগিব।"

কথাষাৰ কৈ ৰোৱা নাছিল অনুৰণ। পিছলৈ নোচোৱাকৈ খৰ খোজেৰে আগবাঢ়িছিল হোষ্টেলৰ ফালে। মুখখন কঠিন কৰি একে ঠাইতে ৰৈ গৈছিল অনুৰাধা।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 115

"বচ বহুত হ'ল আৰু, এনেকৈ ক'লা কাপোৰ পিন্ধি প্ৰটেষ্ট কৰি লাভ নাই। আজি কেব ৰাজ্যসভাতো গৃহীত হ'ব। এতিয়াও আমি কি পৰীক্ষা দি থাকিম?"

"কি ভাবিছে আমাক ইউনিভাৰ্চিটীয়ে? মেচিন আমি? আমি কি অসমৰ বাহিৰত নেকি?"

"শ্বহীদক অপমান কৰিছে ইহঁতে। ইহঁতক উত্তৰ বেলেগকৈ দিব লাগিব।"

"ভাঙি দিম চব। শেষ কৰি পেলাম চাল্লা। অকল পৰীক্ষাৰ বাহিৰে কি একো চিনি নাপায়?"

"ঠিক কৈছ, এনেকুৱাই কৰিব লাগে। এফালৰ পৰা চব ধ্বংস কৰি যাম এতিয়া।"

"বহুত হ'ল শান্ত প্ৰতিবাদ। এতিয়া আৰম্ভ হ'ব কংস বধৰ আখৰা।"

পৰীক্ষা দি আহি Essential পাওঁতেই হঠাৎ এগাল মান ল'ৰা ছোৱালীৰ জুম এটা দেখি ৰৈ গ'ল সন্ধ্যা আৰু ময়ূঁৰ। অথনি অনুৰণক তাতে এৰি সন্ধ্যা অকলেই আহি আছিল। বাটত ময়ূঁৰক পালে লগ। সি তাইতকৈও সোনকালে ওলাইছিল। দুইটাই কথা পাতি পাতিয়ে আহি আছিল। নিৰিবিলি পাওঁতেই চিঞৰ বাখৰ অলপ শুনিছিল সিহঁতে। এতিয়া Essential পাইহে চকু কঁপালত উঠিল। প্ৰায় পঞ্চাছটাতকৈও অধিক ল'ৰা ছোৱালী জুম হৈ আছে Essential ৰ খালী ঠাইখিনিত। তাৰ পৰাই ভাহি আহিছে চিঞৰবোৰ। লাহে লাহে অধিক বাঢ়ি আহিছে। মাত কথাবোৰ যে সুবিধাজনক নহয় সেয়া সন্ধ্যাহঁতে অনুমান কৰিছিলেই। সেয়ে লগে লগে সিহঁত জুমটোৰ ওচৰ পালেগৈ। প্ৰথমে ময়ূঁৰেই ক'লে,

"কিহৰ হুলস্থুল হৈ আছে ইয়াত?"

কেবৰ প্ৰতিবাদত আগভাগ লোৱাৰ পৰা প্ৰিয়ানুজৰ লগতে ময়ূঁৰ আৰু সন্ধ্যাকো প্ৰায় সকলোৱেই চিনি পোৱা হৈছিল। লগতে সন্মানো কৰিছিল। সেইবাবে ময়ূঁৰক দেখি সিহঁত ৰৈ গ'ল। ওখ শকতকৈ ল'ৰা এটাই ক'লে,

"ময়ূঁৰ দা, এনেকে নহ'ব বুইছে। পৰিস্থিতি বেয়া হৈ আহিছে গুৱাহাটীত। কেব ৰাজ্যসভাতো পাছ হ'বই। ইফালে ডিব্ৰুগড়ৰ ছোৱালী এজনীক হেনো গুলীয়াইছে। আমিও হাল্লা আৰম্ভ কৰিব লাগে।"

"হাল্লা মানে?" সন্ধ্যাই সুধিলে।

"হাল্লা মানে হাল্লা। আমি আৰু পৰীক্ষা নিদিওঁ। লাগিলে চব এফালৰ পৰা ভাঙি শেষ কৰিম। টাউন লৈ ওলাই যাম।"

লগে লগে আকৌ হুলস্থুল, চিঞৰ বাখৰ। কোনে কি কৈছে একো নুশুনি। ময়ূঁৰে সকলোকে জোৰ কৰি ৰখাইছে,

"ৰ'বা। এনেকৈ আৱেগত আহি ভুল কিবা ষ্টেপ এটা ল'লে আমাৰে লোকচান। ভালকৈ ভাবি গুণি---"

ময়ূঁৰৰ কথা কৈ নহওঁতেই আকৌ ল'ৰা এটাই ক'লে,

Kaushik

"এতিয়া আৰু ভাবি গুণি থকাৰ সময় নাই। ছোৱালীজনীকো এৰি দিয়া নাই সিহঁতে। মুঠতে এফালৰ পৰা শেষ কৰি যাব লাগে। চাওঁ কোনে পৰীক্ষা পাতে।"

হুলস্থুলবোৰ ৰোধিব নোৱাৰাকৈ বাঢ়ি আহিছে। অতদিনৰ পৰা গোটাই ৰখা ক্ষোভৰ যেন আজি উদ্গীৰণ। কথাটো নোহোৱাও নহয়, গোটেই অসমৰ বাবে আজি ক'লা দিৱস। এনে এটা দিনত পৰীক্ষা দিয়াৰ মানসিকতা কোনজন অসমীয়াৰ থাকিব! তাতে খবৰ ওলাইছে ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ ছোৱালী এজনীক গুলিওৱাৰ। কথাটো কিমান দূৰ সঁচা নাজানে যদিও উগ্ৰ হৈ পৰিছে ষ্টুডেন্ট খিনি। সন্ধ্যাৰ ভয় লাগিছিল, কেনেবাকৈ অধিক আৱেগিক হৈ ইহঁতে এনে একো পদক্ষেপ লৈ নলয়তো ; যিয়ে গোটেই বিশ্ববিদ্যালয়খনৰ পৰিৱেশ বিনষ্ট কৰি পেলায়! ময়ূঁৰৰ ইংগিত পাই সন্ধ্যা জুমটোৰ পৰা আঁতৰি আহিল আৰু লগে লগে প্ৰিয়ানুজলৈ ফোন লগালে। কাৰণ এইখিনি সময়ত ল'ৰা ছোৱালীবোৰক অকল প্ৰিয়ানুজেহে ঠাণ্ডা কৰিব পাৰিব।

"প্ৰিয়ানুজ দা, সোনকালে Essential আহক। ইয়াত হাল্লা।"

কথাটো কৈয়ে ফোনটো কাটিলে সন্ধ্যাই। ইফালে Essential ত অথনিতকৈও বেছি ল'ৰা ছোৱালী গোট খাইছেহি। সকলোৰে এটাই কথা ৰাজ্যখনৰ এই সংকটৰ সময়ত পৰীক্ষা কোনেও নিদিয়ে। তাৰ বাবে সিহঁতে যিকোনো কাম কৰিবলৈ সাজু আছে। সন্ধ্যাই মন কৰিছে যোৱা কেইদিন মানৰ পৰা এই ধৰণৰ মনোভাৱ অকল তেজপুৰ ইউনিভাৰ্চিটীৰে নহয়, অসমৰ প্ৰায় সকলো ছাত্ৰ ছাত্ৰীৰে হৈ পৰিছে। মৰিলে মৰি যাম ধৰণৰ মনোভাৱ এটা যেন গঢ় লৈ উঠিছে সকলোৰে মাজত। ছচিয়েল মেডিয়া মুখ্যমন্ত্ৰীকে ধৰি আন আন প্ৰভাৱশালী মন্ত্ৰীকো সমালোচনাৰে থকা সৰকা কৰিছে সকলোৱে বিনা শংকাই। অকল সমালোচনাই নে, কুকুৰে কাঁইট নোখোৱা গালি দিছে গোটেই ৰাইজে। তেও জানো গা লৰিছে মন্ত্ৰীহঁতৰ। ঈশ্বৰেহে জানে এই স্বৈৰাচাৰী শাসনৰ শেষ ক'ত।

সন্ধ্যাৰ ফোন পাইয়ে দৌৰা দৌৰিকৈ Essential পালেহি প্ৰিয়ানুজ আৰু সিদ্ধাৰ্থ। আহিয়েই পৰিস্থিতি চম্ভালি লৈছিল সিহঁতে। অথনিৰে পৰা উগ্ৰ হৈ থকা ল'ৰাবোৰক বুজাই বঢ়াই বহুখিনি শান্ত কৰিছিল। অলপ পাছত হিমাদ্ৰীও আহি ওলাল।

"প্ৰিয়ানুজ দা, আমি হুলস্থুল বাৰু নকৰোঁ। কিন্তু পৰীক্ষা কেনেকৈ দিওঁ কওঁক।"

Kaushik

হয়, ল'ৰা এটাৰ কথাটো শুনি প্ৰিয়ানুজেও ভাবিলে। আজি যদি ৰাজ্যসভাত কেব গৃহীত হয়, তেন্তে কাইলৈ গোটেই অসম জ্বলিব। অসমীয়া তেজ থকা কোনটো ডেকা ল'ৰা ৰৈ থাকিব পাৰিব তেতিয়া! অলপ সময় চিন্তা কৰি প্ৰিয়ানুজে ক'লে,

"পৰীক্ষা পিছুৱাব লাগিব ইউনিভাৰ্চিটীয়ে।"

লগে লগে সকলোৰে মুখবোৰ ওচৰ উজলি উঠিল।

"সকলোকে খবৰ দিয়া, আবেলি তিনি বজাত ইউনিভাৰ্চিটীৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ সমুখত আহি যেন গোট খায়। কোনো কাৰণত কাইলৈ পৰীক্ষাত বহা নহ'ব।"

প্ৰিয়ানুজৰ কথাৰ লগে লগে এটা ল'ৰাই চিঞৰি উঠিছিল,

"জয় আই অসম"

এজাক ল'ৰা ছোৱালীৰ চিঞৰে কঁপাই পেলাইছিল ঠাইডোখৰ,

"জয় আই অসম"

জয় আই অসম"

Kaushik

খবৰটো বনজুইৰ দৰে বিয়পি পৰিল। হোৱাটচ এপৰ গ্ৰুপে গ্ৰুপে সোঁচৰিল।

"তিনিটা বজাত এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ সমুখত প্ৰটেষ্ট হ'ব। সকলো গোট খাব। পৰীক্ষা পিছুৱাবৰ কাৰণে।"

বহুতে হাঁহি উৰুৱাই দিলে,

"কথা শুনচোন। টি ইউয়ে এই দুই এটাৰ হুলস্থুল শুনি পৰীক্ষা পিছুৱাব? নাম নাজানোঁ।"

বহুতে বিশ্বাস কৰিলে,

"প্ৰিয়ানুজ দাইঁতে কৈছে যেতিয়া হ'বই।"

বহুতে আকৌ ইমান দিনে প্ৰটেষ্টত যোৱা নাছিল যদিও আজি আগে ভাগেই ওলাল। পৰীক্ষা পিছুৱাব, কমটো কথানে!

কথা মতেই তিনি বজাৰ আগতেই প্ৰিয়ানুজহঁতে ভবাতকৈও বহুখিনি ষ্টুডেন্ট গোট খালে এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ সমুখত। ফাউণ্টেইনটোৰ ওচৰৰ পৰা বিল্ডিংটোৰ সমুখলৈকে ঠাইখিনি ভৰি পৰিল মানুহেৰে। প্ৰিয়ানুজহঁত গৈ পোৱাৰ পাছতে গোটেইখিনি মাটিতে বহি পৰিল। প্ৰথমে প্ৰিয়ানুজে আৰম্ভ কৰিলে,

"আমি দেখিছোঁ যোৱা কেইদিনত অসমৰ অৱস্থা কি হৈ আছে। এটা ডেকা ল'ৰা হেৰাই গ'ল। অসমীয়াৰ তেজেৰে ৰাজপথ আকৌ ৰঙা হ'ল। আমাৰে ভাই বন্ধুহঁতে কঁকালত লাঠিৰ কোব লৈও আন্দোলনত জঁপিয়াইছে। আৰু আমি কি কৰিছোঁ, এচিৰ হাৱা লৈ লৈ চি জি পি এ গোটোৱাত লাগিছোঁ। লাজ লাগিছে নিজক শ্বহীদৰ দেশৰ ল'ৰা বুলি ক'বলৈ। বহুত হ'ল পৰীক্ষা। কাইলৈ য'ত গোটেই অসমত প্ৰতিবাদ আৰু জোৰদাৰ হ'ব আমি কোনো কাৰণতে পৰীক্ষা নিদিওঁ। আৰু ইউনিভাৰ্চিটীয়ে যেতিয়ালৈকে পৰীক্ষা নিপিছুৱাই আমি ইয়াৰ পৰা আঁতৰি নাযাওঁ।"

লগে লগে জয় আই অসম ধ্বনি। সেই ধ্বনি গৈ প্ৰতিধ্বনিত হৈছিল এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ দেৱালবোৰতো। প্ৰথম বাৰলৈ ইউনিভাৰ্চিটী প্ৰশাসনৰ টোপনি হৰিছিল এইজাক ল'ৰা ছোৱালীয়ে। কোনেও ভবা নাছিল যে পৰীক্ষা চলি থকাৰ সময়তো এইদৰে হাজাৰৰো ওপৰ ষ্টুডেন্ট প্ৰতিবাদ কৰিবলৈ ওলাই আহিব। নাই, ইমান সহজে দাবী মানি লোৱা বিধৰ নহয় ইউনিভাৰ্চিটী প্ৰশাসন। সময়ৰ লগে লগে নিজেই উঠি যাব। এই ধৰণৰ মনোভাৱ লৈয়ে নিজৰ সিদ্ধান্তত অলৰ অচৰ আছিল তেওঁলোক। কিন্তু প্ৰথম বাৰলৈ ছাত্ৰ আন্দোলনৰ মুখ দেখা তেজপুৰ ইউনিভাৰ্চিটীৰ ভিতৰ চ'ৰাই অনুমানো কৰিব পৰা নাছিল বাহিৰত বহি থকা ষ্টুডেন্টখিনিৰ ভিতৰৰ জুইকুৰাক।

সময় পাৰ হৈ যোৱাৰ লগে লগে ষ্টুডেন্ট উঠি যাওঁক চাৰি আৰু বাঢ়িলহে। এবাৰ হিমাদ্ৰীয়ে আৰম্ভ কৰা এটি গীতত সমৱেত হৈ গাইছিল সকলোৱে,

"আহ আহ ওলাই সজাগ জনতা

আহ আহ ওলাই পোহৰ আনোঁতা

ৰামৰে দেশতে থকা ৰাৱণ বধোতে

যায় যদি যাওঁক জীৱনটো যায়...."

Kaushik

ভূপেন হাজৰিকাৰ গীতটিয়ে সকলোৰে মাজৰ সঞ্জীৱনী শক্তিক যেন আৰু জগাই তুলিছিল। ওপৰ মহলাৰ দৰ্প চূৰ্ণ কৰাৰ পণ হে লৈছিল যেন। লাহে লাহে মাতবোৰত জোৰ বেছি বাঢ়িছিল,

"সংগ্ৰাম আন এটি নাম জীৱনৰে

ইতিহাসে চিঞৰে জয় জনতাৰে...."

সময় পাৰ হৈছিল। আকাশত দগমগাই থকা বেলিটোৱে সেন্দুঁৰৰ ৰং সানিবলৈ লৈছিল শুকুলা আকাশখনত। লাহে লাহে এঙেৰুৱা জালখন লৈ কুঁৰলীও নামি আহিছিল চৌহদটোলৈ। সমুখৰ নাহৰ কেইজোপাত থকা বাহলৈ উভতি আহি কিচিৰ কিচিৰ শব্দ কৰিছিলহি চৰাইবোৰে। এটা এটাকৈ ষ্ট্ৰীট লাইট জ্বলিবলৈ লৈছিল। কিন্তু তিল মাত্ৰও লৰচৰ হোৱা নাই ষ্টুডেন্টখিনি। এফালে ডিচেম্বৰৰ হাড় কপোঁৱা শীত, লগতে তেজপুৰৰ নৈ পৰীয়া বতাহজাক। তাৰ মাজতো কঁপি কঁপি বহি আছিল সিহঁতবোৰ।

"অনুৰণ, শুনা না"

ল'ৰা ছোৱালীবোৰৰ আগফালে ময়ূঁৰ আৰু বিশ্বজিতৰ সৈতে থিয় হৈ থকা অনুৰণৰ কাষলৈ আহি অনুৰাধাই মাত লগালে। সি অলপ আগবাঢ়ি আহিল,

"অঁ, কোৱা"

"ঠাণ্ডাত কঁপি আছোঁ। তোমাৰ জেকেটটো দিয়া না বেয়া নোপোৱা যদি। আকৌ হোষ্টেল নাযাওঁ গৈ আৰু।"

অনুৰাধাৰ কথাত এবাৰ তাইলৈ চালে অনুৰণে। হাফ স্পৰ্টিং এটা পিন্ধি আহিছে তাই। হাতটো কোঁচাই কঁপি আছে ঠাণ্ডাত। অনুৰণেও জেকেটৰ তলত গোল ডিঙিৰ হাফ স্পৰ্টিং এটাই পিন্ধি আছে। অহাৰ সময়ত দৌৰা দৌৰিত পিন্ধা নহ'ল একো। তথাপি এজনী ছোৱালীয়ে নিজে আহি সহায় খুজিলে অনুৰণে নিদিয়াৰ প্ৰশ্নই নুঠে। সেয়ে একো নোকোৱাকৈ জেকেটটো খুলি অনুৰাধালৈ আগবঢ়াই দিলে সি।

"থেংকচ এ লট" বুলি জেকেটটো লৈ অনুৰাধা আঁতৰি যোৱাৰ পাছত অনুৰণ আকৌ ময়ূঁৰহঁতৰ লগত কথা পতাত লাগিল।

সন্ধ্যা আৰু চন্দ্ৰালীয়ে দৌৰা দৌৰি কৰি আছিল ব্যস্ততাৰে। আচলতে বহি থকা ল'ৰা ছোৱালীখিনিলৈ সিহঁতে চাহ অনাৰ ব্যৱস্থা কৰিছিল। প্ৰিয়ানুজ, হিমাদ্ৰী, চন্দ্ৰালী আৰু

Kaushik

সিদ্ধাৰ্থই নিজা খৰছতে চাহৰ যোগাৰ কৰিছিল। অতবোৰ ল'ৰা ছোৱালী দুই তিনি ঘন্টা ধৰি তেনেকৈ বহি থকাত প্ৰিয়ানুজহঁতে সেই কথাটো ভাবিছিল। তাৰ বাবেই সন্ধ্যা আৰু চন্দ্ৰালীয়ে চাহ লৈ অহা এমিনিটীৰ বা কেইজনীক সহায় কৰি আছিল। তেনেকুৱাতে সন্ধ্যাই অনা চাহ কাপ লৈ অনুৰাধাই ক'লে,

"থেংক ইউ সন্ধ্যা। চাহ কাপৰ বৰ দৰকাৰ আছিল। ইমান ঠাণ্ডা লাগিছিল জানা নে? তাতে হাফটো পিন্ধি আহিলোঁ। এতিয়া আকৌ অনুৰণে তাৰ নিজৰ জেকেটটোৱেই খুলি দিলে।"

অনুৰাধাই চেইন নমৰাকৈ পিন্ধি থকা অনুৰণৰ জেকেটটোত চেইন ডাল মাৰি দি সন্ধ্যাই ক'লে,

"ভালেই কৰিলা। নহ'লে এই ঠাণ্ডাত বেমাৰ হে হ'ব। এতিয়া চিন্তা নাই। চেইন ডালো মাৰি লোৱা আকৌ।"

এইবুলি হাঁহি মাৰি চেইনডাল উঠাই দি আঁতৰি গ'ল সন্ধ্যা। তাই যোৱাৰ ফালে চাই আচৰিত হৈছিল অনুৰাধা।

"কি আচৰিত ছোৱালী" অনুৰাধাই নিজক কোৱাৰ দৰেই ক'লে।

চাহ একাপ লৈ সন্ধ্যাই এইবাৰ অনুৰণৰ ওচৰলৈও গ'ল।

"চাহ লোৱা"

অনুৰণে হাত পাতি লৈছিল। তাৰ পাছতেই সন্ধ্যাই নিজৰ চুৰ্ণীখন ডিঙিৰ পৰা আনি গোল ডিঙিৰ স্পৰ্টিং পিন্ধি থকা অনুৰণৰ ডিঙিত বান্ধি দিলে।

"হাৰে হাৰে কি কৰিছা?" অনুৰণে সুধিলে।

"উদং হৈ আছে ডিঙিটো। এনেই ঠাণ্ডা। পাবা ৰ'বা গম। মাৰি থোৱা এইখন।"

"আৰু তোমাৰ কি ঠাণ্ডা নালাগে?"

"মোৰ শ্বলখন আছে। এতিয়া কাম কৰি আছোঁ কাৰণেহে থৈ দিছোঁ। লৈ ল'মগৈ।"

হ'লেও অনুৰণে থেৰোঁ গেৰোঁ কৰিলে,

"এই নালাগে নেকি!"

Kaushik

"একদম পিন্ধি থাকা বুলি কৈছোঁ নহয়।"

কথাটো কৈ সন্ধ্যা আঁতৰি যাব লওঁতেই অনুৰণে তাইৰ বাহুটোত ধৰি টানি আনিলে ওচৰলৈ,

"ঐ ছোৱালী, কিহৰ দম হা ইমান?"

"লাজ নাই চবৰে আগত। যাহ" বুলি হাতখন জোৰেৰে আঁতৰাই আনি সন্ধ্যা আকৌ কামত ব্যস্ত হ'ল। অনুৰণে মিচিকিয়া হাঁহি এটা লৈ চাই আছিল তাইলৈ। কোনে বেয়া পাব পাৰে এই ছোৱালীজনীক। ঠাইখিনি এন্ধাৰ হৈ থকাৰ বাবে সিহঁতক কোনেও ধৰিব পৰা নাছিল যদিও অলপ পাছতে অনুৰাধাই ঠিকেই মন কৰিছিল অনুৰণৰ ডিঙিত থকা বেঙুনীয়া চুৰ্নীখনলৈ। গাত পিন্ধি থকা অনুৰণৰ জেকেটটোৱে যেন ইতিকিঙৰ দৃষ্টিৰে চাইছিল তাইলৈ সেই সময়ত।

প্ৰিয়ানুজহঁতৰ কষ্টই ফল লাভ কৰিছিল। কিছু সময় আগেয়ে এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ ভিতৰলৈ সোমাই যোৱা ষ্টুডেন্ট কাউন্সিলৰ মেম্বাৰখিনিয়ে ভাল খবৰটো আনিছিল যে পৰীক্ষা দুদিনলৈ পিছুৱাই দিয়া হৈছে। আকৌ "জয় আই অসম"ৰে বিজয় ধ্বনি উৰিছিল। তাৰ মাজতে এচাম হতাশ হৈছিল,

"কি লাভ হ'ল ইমান সময় থাকি, অকল দুদিনহে পিছুৱালে।"

বহুতে কিন্তু আশাবাদী,

"হওঁক তেও, ষ্টুডেন্টৰ দাবীটো মানিলে যে অন্ততঃ। সেয়াও বহুত।"

দুই একে হুঁমুনিয়াহ কাঢ়িছিল,

"চৰকাৰখনেও যদি এনেকৈয়ে মানি ল'লেহেঁতেন ৰাইজৰ দাবীবোৰ।"

বাকী যিয়েই নহওঁক, ল'ৰা ছোৱালীহঁতৰ একতাই তেজপুৰ ইউনিভাৰ্চিটীত পুনৰ এটা ইতিহাস ৰচিছিল পৰীক্ষা পিছুৱায়। এইটোৱে আহিব লগা বহু পথ মুকলি কৰিব বুলি প্ৰিয়ানুজহঁত আশাবাদী।

"ৰাজ্যসভাত গৃহীত হ'ল কেব।"

Kaushik

খৰবটো প্ৰত্যাশিত আছিল যদিও ই পুনৰ কঁপাই তুলিছিল প্ৰতিজন অসমীয়া বুকু। অস্তিত্ব হেৰুৱাই ভয়ত হাঁহাকাৰ কৰিছিল অসমীৰ কেঁচা কলিজাই। কাৰ্ফিউ ভাঙি ৰাতিও ওলাই আহিছে হেজাৰ হেজাৰ জনতা। তেজপুৰ টাউনতো চাৰিওফালে হুলস্থুল। উত্তাল ৰাইজে জ্বলাই দিছে চৰকাৰী অফিচ, কাৰ্যালয়। খবৰ আহিছিল চৰকাৰৰ ফালৰ কোনোবা লোকক কোনোবা যুৱকে অধিক আৱেগিক হৈ জ্বলা বাঁহেৰে কোবোৱাৰ কথা। অহিংস আন্দোলনত আস্থা হেৰাইছিল মানুহৰ। চৌদিশে মাত্ৰ অশান্তি। ৰাজপথত জুই। "আহ ঐ আহ", "জয় আই অসম" চিঞৰত অসম মাজনিশাও সাৰে আছে। ছচিয়েল মিডিয়াত তুলাধূনা চৰকাৰক। "দ্বিতীয় বদন" আখ্যাৰে বিভূষিত মুখ্যমন্ত্ৰীক। চাৰিও ফালৰ সময়ে যেন সেই তিৰাশীৰ গীতকেই দোহাৰিছে।

আনদিনাৰ দৰেই ইউনিভাৰ্চিটীৰ মেইন গেটৰ ওচৰত বহি আছিল ল'ৰা ছোৱালীবোৰ। তেনেকুৱাতে আহিছিল আন এটা ভয়ংকৰ খবৰ। পুলিচৰ গুলীত গুৱাহাটীত নিহত হয় ছেম ষ্টেফৰ্ড নামৰ এজন কিশোৰ। কাৰ্ফিউৰ সময়ত ওলাই অহাৰ বাবেই গুলীৰে থকা সৰকা কৰে ছেমক।

"ছিঃ, থুই পেলাইছোঁ সেইটো পুলিচক যিয়ে এটা সৰু ল'ৰালৈ গুলী মাৰি বীৰত্ব দেখুৱাইছে। নিলাজ, চৰকাৰৰ চাকৰ। ইহঁতবোৰে টকাৰ কাৰণে পাৰিলে নিজৰ মাককো...."

কথাখিনি কৈ কৈ কান্দোনত ভাঙি পৰা সন্ধ্যাক সাৱটি ধৰিছিল চন্দ্ৰালীয়ে।

"ল'ৰাটো ক্লাছ টেনত আছিল। অহা বছৰলৈ মেট্ৰিক দিলেহেঁতেন। শিল্পী সমাজৰ প্ৰতিবাদ চাবলৈ ওলাই আহোঁতে বাটতে অসুৰহঁতে..."

কথাটো সম্পূৰ্ণ কৰিব নোৱাৰিলে অম্লানে।

"এইখন চৰকাৰ নিপাত যাওঁক। ধ্বংস হওঁক। এনেকুৱা নীচ মানুহ থাকেনে চালা।"

চিঞৰি উঠিছিল কোনোবা এটাই। কান্দোনৰ শব্দ ভাহিছিল সকলোৰে মাজত। ফেচবুকত ছেমৰ মাকৰ বুকু কঁপোৱা কান্দোনখিনিয়ে যেন যাঠি এডাল ভৰাই দিছিল সকলোৰে বুকুত।

গোটেই ৰাতিটো আৰু কিবা কিবি ঢেৰ খবৰ পাইছিল। ক'ৰবাত হেনো পুলিচে হোষ্টেলত সোমাই সোমাই ল'ৰাবোৰক মাৰিছে। ক'ৰবাত ন চাউল খাবলৈ ভোজ পতাত মানুহ গোট খাওঁতেও পুলিচে অত্যাচাৰ কৰিছে। ক'ৰবাত আৰু দুজন ল'ৰাক গুলীয়াই

Kaushik

মৰাৰ খবৰো আহিছে। মুঠতে অগণন খবৰ ৰাতিটো। কিছুমান সঁচা যদিও কিছুমান উৰা বাতৰিও ওলাইছিল। কোনো কোনোৱে কৈছিল তেজপুৰ ইউনিভাৰ্চিটীতো হেনো আৰ্মী আহিব আন্দোলন ৰখাবলৈ। "আহক চোন কোন আহে" বুলি কঁকালত টঙালি বান্ধি ৰৈ আছিল সকলো।

ছেমৰ মাকৰ কান্দোনৰ শব্দই, তাৰ তেজ লগা গামোচাখনে, কোনো অসমীয়াক শান্তিৰে শুবলৈ দিয়া নাছিল সেই ৰাতি। বুকুত প্ৰাণ থকালৈকে কোনো অসমীয়াই পাহৰিব নোৱাৰিব সেই জঁয়াল ৰাতিটোৰ কথা।

"ঐ, তোৰ নেট চলি আছে নে মোবাইলত?"

পৰীৰ কথাত মোবাইলটো এবাৰ চেক কৰিছে প্ৰিয়াই। সিহঁতৰ আৰু এটা পৰীক্ষাহে বাকী আছেগৈ। কাইলৈ আছে সেইটো। পৰীক্ষাৰ সম্পৰ্কীয় দুই এটা কথা লৈয়ে প্ৰিয়া আৰু প্লাৱিতা সন্ধ্যাৰ ৰুমলৈ আহিছিল। প্লাৱিতা এইবাৰৰ মেচ মেনেজাৰ। মেচখন চলোৱাত বৰ অসুবিধা হৈছে এইবাৰ। টাউনৰ দোকান পোহাৰ আন্দোলনৰ বাবে চব বন্ধ। দূৰৈৰ পৰা আনিব লগা হোৱাৰ কাৰণে খৰছো বেছি হৈছে। ইফালে পৰীক্ষা শেষ হোৱাৰ পাছতো বহুতো ল'ৰা ছোৱালী হোষ্টেলতে থাকিবলৈ বাধ্য। কাৰণ কেনিও একো গাড়ী মটৰ চলা নাই। নগাঁও আৰু তেজপুৰৰ ওচৰৰ খিনিৰ বাহিৰে উজনি আৰু নামনিৰ ল'ৰা ছোৱালীবোৰ বন্দী হ'ব লগা হৈছে হোষ্টেলতে। দুপৰীয়া ভাত খাই আহি সেইবোৰ কথাই পাতি আছিল প্ৰিয়াহঁতে। সন্ধ্যাই উপায় দিছিল এখন মিটিং পাতি মধ্য অসমৰ যিখিনি ছোৱালী যোৱাৰ সুবিধা আছে সিহঁতক যাবলৈ কোৱাৰ কথা। যাতে দূৰৈৰ খিনিয়ে থকাৰ দিন কেইটা লঘোণে থাকিব লগা নহয়। তাৰ মাজতে পৰীয়ে ফোন কৰি প্ৰিয়া ইন্টাৰনেট চলিছেনে নাই সুধিলে। প্ৰিয়াই এবাৰ চাই ক'লে,

"ঐ মই ৱাইফাইহে লগাই আছোঁ। মোৰ নেট পেকেই নাই।"

এৰা, প্ৰিয়াৰ দৰে অৱস্থা ইউনিভাৰ্চিটীৰ বহুতৰে হয়। ইয়াত গোটেই কেম্পাছত ফ্ৰী ৱাইফাই পাই ষ্টুডেন্টে। প্ৰথম সোমাওঁতেই পাছৱৰ্ড দি দিয়ে। আনলিমিটেড ৱাইফাই পাই বহুতে মোবাইলত নেট পেক নভৰোৱাকৈয়ে চলি থাকে। কিছুমানে পিছে ভৰাই, কাৰণ কেতিয়াবা ৱাইফাইৰ স্পীড ভাবিব নোৱাৰাকৈ শ্ল' হৈ যায়। পৰীৰ ৰুমত ৱাইফাই নাপাই বাবে তাই নেট পেক ভৰাইয়ে। আজি ঘপকৈ আবেলিৰ পৰা নেটে কাম কৰা নাই বাবে তাই প্ৰিয়াক ফোন কৰিছিল।

Kaushik

"সন্ধ্যা, তোৰ তাত চাচোন। নেটে কাম কৰিছে নাই?"

প্ৰিয়াৰ কথাত সন্ধ্যাই মোবাইলটো চালে,

"ঐ, নাই কৰা। মেচেজ চেছেজ একো নাযায় চোন।"

"হাৰে, মোৰ তাতো নাই কৰা চোন কাম।"

প্লাৱিতাইও কৈছিল।

"তাৰ মানে কেনেবাকৈ..." সন্ধ্যাই ভয়ে ভয়ে কৈছিল। এৰা, তাই সন্দেহ কৰাটোৱেই হ'ল। গোটেই অসমৰ কাটি দিয়া হ'ল ইণ্টাৰনেটৰ সংযোগ। কাৰণ, ছচিয়েল মিডিয়াৰ উৰাবাতৰি হেনো। চকু কঁপালত উঠিছিল সকলোৰে। এটা গণ আন্দোলন মষিমূৰ কৰিবলৈ আৰু কিমান তললৈ নামিব পাৰে এখন চৰকাৰ!

"হে ভগৱান, কি হ'ব মোৰ এতিয়া? কাইলৈ পৰীক্ষা। নেটটো নাথাকিলে কি কৰিম! ঐ প্ৰিয়া, তোৰ ৰুমত যাব পাৰিম নেকি?"

পৰীয়ে প্ৰায় ফেঁকুৰি কথাখিনি কৈছিল। প্ৰিয়াই লগে লগে ক'লে,

"মানে পৰী, মই আৰু প্লাৱিতাই গ্ৰুপ ষ্টাডিহে কৰোঁ। গতিকে অলপ প্ৰব্লেম হয় বেছি মানুহ হ'লে। তই মেনেজ কৰচোন কিবাকৈ।"

কথাটো কৈয়ে ফোনটো কাটি দিলে প্ৰিয়াই। অলপ সময় সন্ধ্যাৰ ৰুমত কথা পাতি সিহঁত গ'লগৈ।

Kaushik

মেইন গেটত আজিও বহি আছে ল'ৰা ছোৱালীবোৰ। অলপ সময় থাকি সন্ধ্যা উঠি আহিল। তাইৰ গাটো অলপ জ্বৰ কালিৰ পৰাই। সেই বাবেই প্ৰিয়ানুজে জোৰকৈ পঠালে তাইক। হোষ্টেলটো পোৱাৰ আগতে পৰীহঁতৰ হোষ্টেল মানে কপিলী পাই ৰৈ গ'ল সন্ধ্যা। অথনি পৰীৰ কথাটো মনত পৰিল। তাই কিবা মেনেজ কৰিব পাৰিলে নে নাই বাৰু! পৰীৰতো লেপটপো নাই। আৰু সন্ধ্যাহঁতৰ নিচিনাকৈ তাই নোটছো নবনাই। গতিকে মোবাইলত নেটটো নোহোৱাকৈ তাই পঢ়িছে কেনেকৈ বাৰু! তাতে বেচেৰীৰ চিংগল ৰুম। কথাটো ভাবি ভাবিয়ে সন্ধ্যা পৰীৰ ৰুম পালেগৈ। দুৱাৰখনত দুবাৰ শব্দ কৰাৰ পাছত খোল খালে। ৰঙা চকুৰে চুলি মেলি পৰীয়ে ভয়ংকৰ ৰূপ এটা লৈ

আছে। গালত চকুপানীৰ দাগ এতিয়াও শুকোৱা নাই। দেখিলেই গম পাই যে এইমাত্ৰ কান্দি উঠিছে। সন্ধ্যা সোমায়েই চিঞৰি উঠিল,

"পৰী, কি হৈছে? এনেকৈ আছা যে তুমি?"

"মই কাইলৈ পৰীক্ষা নিদিওঁ সন্ধ্যা। একো পঢ়া হোৱা নাই, ইফালে নেটো নাপায়। লাইব্ৰেৰীত গ'লেও পঢ়া নহয় মোৰ। আৰু লাইব্ৰেৰী বন্ধও হয় সোনকালে।"

পৰীয়ে কথাখিনি কৈ উচুপি উঠিল। সন্ধ্যাৰ বেয়া লাগিল। ইমান ডাঙৰ হোষ্টেলটোত এজনী মানুহ নোলাল নে পৰীক সহায় কৰিবলৈ! কিয় ইমান আত্মকেন্দ্ৰিক মানুহবোৰ! আমাৰ জীৱনবোৰ জানো অকল আমাৰ নিজক সমৃদ্ধ কৰিবৰ বাবেহে দিছে ভগৱানে! সন্ধ্যাই মৰম কৰি পৰীক ক'লে,

"নাকান্দিবা পৰী। তুমি মোৰ ৰুমলৈ ব'লা। মোৰ তাত ৱাইফাই ধুনীয়াকৈ পায়। আৰু মোৰ নোটছো বনোৱা আছে। দুইজনীয়ে গোটেই ৰাতিটো পঢ়িব পাৰিম ব'লা।"

পৰীয়ে আচৰিত হৈ চাইছিল সন্ধ্যালৈ। পৰীৰ যেন বিশ্বাস হোৱা নাই। সন্ধ্যাই সঁচাই কৈছে নে? নে ধেমালি কৰিছে! যি সময়ত পৰীৰ ভাল লগৰ প্ৰিয়া, মেঘালীহঁতো তাইৰ পৰা বাহানা দেখুৱাই আঁতৰি আছে তেনেকুৱাত সন্ধ্যা, যিজনী ছোৱালীক সদায় তাই কথাৰে অপমান কৰি আহিছে তাইনো সহায় কৰিবনে!

"কি ভাবি আছা পৰী? দেৰি নকৰোঁ। ব'লা। তোমালোকৰ প্ৰিফেক্ট গায়ত্ৰী ভাল মোৰ লগত। মই কৈ দিম তাইক তুমি মোৰ তাত থাকিবা বুলি।"

কথাটো কৈ সন্ধ্যাই জোৰ কৰি পৰীক নিজৰ লগতে লৈ আহিল।

ৰুমলৈ আনি পৰীক নিজৰ নোটছ দিয়াৰ লগতে পিছদিনাৰ পেপাৰ খনৰ দুই এটা টান টান টপিক বুজাইও দিলে সন্ধ্যাই। অলপ দেৰিলৈকে পঢ়ি সিহঁত দুইজনী শুই পৰিল।

শুই থকা সন্ধ্যাৰ শান্ত মুখখনলৈ একান্ত মনে চাই ৰৈছিল পৰীয়ে। যেন আজি তাইক প্ৰথম দেখিছে। অন্তৰত কিমান খিনি মৰম থাকিলে অত বছৰে ইতিকিং কৰি থকা ছোৱালীজনীক এইদৰে সহায় কৰিব পাৰে পৰীয়ে নাজানে। নীলা ডিম লাইটৰ পোহৰে জিলিকাই তোলা সন্ধ্যাৰ মুখখন চাই তাইক দেৱী যেন অনুভৱ হ'ল পৰীৰ। তাইৰ চকু পানী এটোপাল সন্ধ্যাৰ গালত পৰাত তাইৰ সাৰ পাই উঠিল,

"পৰী, কি হ'ল ঐ?"

Kaushik

অথনিৰে পৰা সাঁচি ৰখা পৰীৰ আৱেগখিনি পাৰ ভাঙি ওলাই আহিল। হুকহুকাই কান্দি উঠিল তাই। সন্ধ্যাই সাৱটি লৈছিল পৰীক,

"কি হৈছে পৰী? মোক বেয়া পাইছা কিবা?"

কান্দি কান্দিয়ে পৰীয়ে ক'লে,

"কেনেকৈ সন্ধ্যা? কেনেকৈ পাৰা তুমি মানুহক ইমান ভাল পাব? মই ইমান দিনে সদায় তোমাক বেয়াকৈ কওঁ, অথচ আজি তুমি হে মোক...."

সন্ধ্যাই চকুপানী মচি দিছিল তাইৰ। পৰীয়ে আকৌ ক'লে,

"জানা সন্ধ্যা, জুৰি, অনুৰাধা, মেঘালী, প্ৰিয়া চবলেকে ফোন কৰিলোঁ মই। চবেই বাহানা মাৰিলে। কিন্তু তুমি---। কিয় সন্ধ্যা, কিয় ভাল পোৱা তুমি মানুহক ইমান?"

সন্ধ্যাই পৰীৰ মূৰত মৰমেৰে হাত ফুৰাই ক'লে,

"মানুহক বেয়া পাবলৈ বহুত কাৰণ লাগে পৰী। কিন্তু ভাল পাবলৈ এটা কাৰণেই যথেষ্ট। নাজানোঁ তুমি কি কাৰণে মোক ইমান বেয়া পাই আছিলা। কিন্তু তুমি মোৰ বান্ধৱী, আমি একেলগে পঢ়োঁ ; তোমাক ভাল পাবলৈ এই কাৰণটোৱেই যথেষ্ট।"

"তুমি দেৱী হয় সন্ধ্যা। মই সাত জনম ল'লেও কেতিয়াও তুমি হ'ব নোৱাৰোঁ।"

কথাখিনি কৈ কৈ বিচনাত বাগৰ দিছিল পৰীয়ে। তাইৰ মূৰত হাত ফুৰাই গাত কাপোৰখন দি দিলে সন্ধ্যাই।

"মোক ক্ষমা কৰি দিব পাৰিবা সন্ধ্যা? আজি বুজি পালোঁ, মোৰ কোনো ভাল লগৰ নাইয়ে অ'।"

পৰীয়ে ফেঁকুৰি কোৱা কথাষাৰত সন্ধ্যাৰো চকু পানী ওলাইছিল। সঁচাই ভিৰৰ মাজতো যে আমি বোৰ ভয়ংকৰ ভাৱে অকলশৰীয়া। নিসংগতাই মানুহক কি অৱস্থা কৰে সন্ধ্যাতকৈ ভালকৈ কোনে জানিব। তাই মৰমেৰে কৈছিল পৰীক,

"মই কেতিয়াও তোমাক বেয়া পোৱা নাই পৰী। চিন্তা নকৰিবা। মই থাকিম সদায় লগত।"

Kaushik

পৰীৰ চেঁপা কান্দোন এটি বৈ আহিছিল। চকু পানী ৰোৱা নাছিল সন্ধ্যাৰো। বহু দিনৰ বোজা এটা হে যেন খহি পৰিছিল। এৰা, আনৰ বাবে কান্দিব পাৰিলে কান্দোনতো সুখ পোৱা যায়।

(আগলৈ)

#নিৰিবিলি

Part 116

"তেন্তে এইটো ছেমিষ্টাৰো শেষ আৰু।"

শেষৰ পৰীক্ষাটো দি ডিপাৰ্টমেন্টৰ পৰা ওলাই আহি অনুৰণে সন্ধ্যাক ক'লে। পৰীক্ষা দি সিহঁত একেলগেই ওলাই আহিছিল বাহিৰলৈ। অনুৰণে কোৱাত হে সন্ধ্যাইও ভাবিলে তেজপুৰ ইউনিভাৰ্চিটীত সিহঁতৰ আৰু মাত্ৰ এটা ছেমিষ্টাৰহে আছে গৈ। মানে অকল ছমাহ। ক'তনো ছমাহ অৱশ্যে। জানুৱাৰীৰ পোন্ধৰ তাৰিখৰ পৰাহে খুলিব। ইফালে মে'ৰ ত্ৰিছৰ ভিতৰত শেষেই হ'ব। অৰ্থাৎ চাৰি মাহ আৰু পোন্ধৰ দিন। কথাটো মনলৈ আহোঁতে সন্ধ্যাৰ মনটো গধূৰ হৈ পৰিল। পাঁচটা বছৰ যে কেনেকৈ পাৰ হৈ গ'ল, গমেই নাপালে। যেন কিবা উপন্যাস এখন হে পঢ়ি আছিল তেনে অনুভৱ হয়। যোৱা কেই বছৰত কিমানক যে সন্ধ্যাই ফেয়াৰৱেল দিলে ঠিক নাই। এতিয়া আৰু কেইমাহ মানৰ পাছতে তাই নিজেই ফেয়াৰৱেল ল'ব লাগিব। কোন সতে সোৱণশিৰীৰ বিদায় সভাত বহিব বাৰু তাই!

"ঐ, কি ভাবি আছা?"

সন্ধ্যাৰ ভাৱত যতি পেলাই অনুৰণে ক'লে। ভাবনাৰ জগতৰ পৰা ঘূৰি আহি সন্ধ্যাই অনুৰণৰ ফালে চাই কৈছিল,

"আমাৰ শেষেই হ'বৰ হ'ল ন?"

"তাকেই। নেক্সত ছেমটো ফেয়াৰৱেল লওঁতেই যাব আৰু।"

সন্ধ্যাই একো নক'লে। কেতিয়াবা মনটো ইমান বেছি গধূৰ হৈ থাকে যে মুখখনো বোবা হৈ পৰে। বহুত কিবা কিবি ক'বৰ মন যায়, কিন্তু একো নোলায়। সন্ধ্যাৰো তেনেকুৱাই হৈছিল। তাই একো নোকোৱা দেখি অনুৰণেই ক'লে,

Kaushik

"মোক ফেয়াৰৱেল গিফ্ট কি দিবা?"

"হুঁহ, গৰজ পৰিছে।" সন্ধ্যাই মুখ কোঁচালে।

"একো নিদিয়া মানে?"

"আগতে তুমি দি ল'বা চোন মোক।"

"এবাৰ খুজিতো চোৱা, দিবলৈতো গোটেই আকাশখনেই আছে।"

অনুৰণৰ কথাত চকু ডাঙৰ হৈ গ'ল সন্ধ্যাৰ,

"কি শুনিছোঁ মই এইয়া? অনুৰণ হাজৰিকা, কিবা গা চা বেয়া নেকি তোমাৰ? তোমাৰ মুখত ৰোমান্টিক ডাইলগ যে?"

সন্ধ্যাৰ কথা কোৱাৰ সুৰত হাঁহি পেলালে অনুৰণে। লগে লগে হাঁহি উঠিছিল সন্ধ্যাইও।

"ৱাহ, কি হাঁহি অ' ইমান আমাকো কোৱা হে।"

অনুৰাধাৰ মাতটো শুনিহে সন্ধ্যাহঁতে ঘূৰি চালে। ভিতৰৰ পৰা আহি জুৰি, প্ৰিয়া আৰু অনুৰাধা সিহঁতৰ ওচৰ পাইছিলহি। সন্ধ্যাই হাঁহি হাঁহিয়ে ক'লে,

"অনুৰাধা, তুমি কিন্তু একদম বনাই দিছা দেই আমাৰ হাজৰিকাক।"

সন্ধ্যাৰ কথাত অনুৰণৰ বাহিৰে চবেই হাঁহি উঠিল। কথাটো বুজি নাপাই অনুৰণে সুধিলে,

"অনুৰাধাই আকৌ কি বনাব মোক?"

সন্ধ্যাই কিবা এটা ক'বলৈ লওঁতেই জুৰিয়ে ক'লে,

"অনুৰণ, তোৰ গাইড ধৰিত্ৰী মেম নাছিল জানো? তোক বিচাৰি আছিল। মই ক'ব পাহৰি আছোঁ।"

অনুৰণহঁতৰ ডিজাৰটেচনৰ গাইড ভগালে পৰীক্ষাৰ আগতে। তাৰ গাইড ধৰিত্ৰী মেম। মেম বহুত কাঢ়া বুলি সকলোৱে জানে। প্ৰতি সপ্তাহে প্ৰগ্ৰেছ ৰিপোৰ্ট বিচাৰিয়ে থাকে। মেমে মতাৰ কথা শুনিয়ে অনুৰণ ডিপাৰ্টমেন্টৰ ভিতৰলৈ খোজ ল'লে। এনেতে ভিতৰৰ পৰা পৰী ওলাই আহি সন্ধ্যাক সাৱটি ধৰিলেহি,

"তোমাক ধন্যবাদ দিবলৈও মোৰ লাজ লাগিছে জানা সন্ধ্যা। তুমি নথকা হ'লে যে--"

Kaushik

সন্ধ্যাই লগে লগে ক'লে,

"হ'ব হ'ব। একো নাই। বাৰু মই যাওঁ হা এতিয়া। কম্প্লেক্সত কাম এটা আছে। তইঁতো ৰ দেই।"

জুৰিহঁতক মাত লগাই সন্ধ্যা আঁতৰি গ'ল। এইফালে পৰীৰ ব্যৱহাৰত আচৰিত হৈ জুৰিয়ে সুধিলে,

"কি হ'ল অ', আজি চোন তোৰ বৰ মৰম সন্ধ্যালৈ?"

"যোৱা এটা ৰাতিয়ে মোক বহুত কথাই ৰিয়েলাইজ কৰালে। ইমান দিনে সন্ধ্যাক আচলতে ভুল বুজি আছিলোঁ মই।"

"বাপ ৰে, ইমান কি হ'লনো। একেবাৰে সন্ধ্যাৰ ভক্ত হৈ গৈছ যে?"

প্ৰিয়াৰ কথাত হাঁহি মাৰি পৰীয়ে ক'লে,

"এতিয়া নুবুজিবি। কিন্তু এদিন তইঁতেও বুজিবি, সন্ধ্যাৰ দৰে বান্ধৱী পাবলৈও ভাগ্য লাগিব।"

কথাটো কৈ পৰী আৰু তাত নৰ'ল। তাই যোৱাৰ ফালে চাই জুৰিয়ে ক'লে,

"কি যাদু কৰিলে এইক সন্ধ্যাই!"

"সেইটো যাদু তই বা মই হাজাৰ চেষ্টা কৰিলেও শিকিব নোৱাৰোঁ জুৰি। সন্ধ্যা সঁচাই বহুত বেলেগ এজনী ছোৱালী।"

অনুৰাধাই নিজকে কোৱাৰ দৰে কৈছিল। জুৰিহঁতে একো বুজি নাপাই চাই ৰৈছিল মাত্ৰ।

ইন্টাৰনেট কাটি দিয়াৰ লগে লগে বাহিৰৰ পৃথিৱীখনৰ লগত সংযোগ বিহীন হৈ গৈছিল অসম। ক'ত কি হৈ আছে একো গম নোপোৱা হৈছিল। তেনেকুৱা সময়তে এক বিশেষ ভূমিকাত অৱতীৰ্ণ হৈছিল তেজপুৰ ইউনিভাৰ্চিটী। যদিও গোটেই অসমত ইন্টাৰনেট কৰ্তন কৰা হ'ল, তেজপুৰ ইউনিভাৰ্চিটীৰ নিজা ৱাইফাই ইয়াৰ আওঁতাত নপৰিল। সেইবাবে অসমৰ চাৰিও চুকৰ খা খবৰ যিমান পাৰে ফোন যোগে গোটাই তেজপুৰ ইউনিভাৰ্চিটীৰ ভিতৰৰ পৰা পঠোৱা হৈছিল বাহিৰলৈ। হাইদৰাবাদ, দিল্লী, কলিকতা

Kaushik

আদিৰ উপৰিও ভাৰতৰ বাহিৰত থকা তেজপুৰ ইউনিভাৰ্চিটীৰ প্ৰাক্তন শিক্ষাৰ্থীসকলে এইবাৰ আগভাগ লৈছিল। অসমৰ প্ৰতিটো পৰিস্থিতি সিহঁতে ভাইৰেল কৰিবলৈ লৈছিল ছচিয়েল মিডিয়াত। অভিমন্যু, তৌফিক সকলো লাগি গৈছিল একমুখে। তেজপুৰ বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰা এনেকৈ এটা খবৰৰ কেন্দ্ৰ হৈ পৰিব বুলি ভবা নাছিল কোনেও। সেয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এজন জ্যেষ্ঠ সাংবাদিকে সম্প্ৰচাৰ কৰা অসমৰ বাতৰিত আচৰিত হৈছিল ৰজাঘৰ। য'ত গোটেই অসমতে ইণ্টাৰনেট নাই, তেনে স্থলত ক'ৰ পৰা বাহিৰলৈ গৈ আছে খবৰ। অতি কৌশলেৰে তেজপুৰৰ ষ্টুডেণ্টে কৰা এই কাৰ্য ধৰা পেলোৱাটো বৰ সহজো নাছিল।

প্ৰায় দহ দিনেই ইণ্টাৰনেট বিহীন জীৱন যাপন কৰিছিল অসমবাসীয়ে। এজন দুজনকৈ প্ৰায় পাঁচজন অসমীয়া ডেকাৰ তেজেৰে ৰাঙলী হ'ল ৰাজপথ। কেব গৈ কা অৰ্থাৎ Citizenship Amendment Act হ'ল। ৰাষ্ট্ৰপতিৰ চহীৰ লগে লগে বিধেয়কখনে আইনৰ ৰূপ ল'লে। প্ৰায় এমাহ জোৰা আন্দোলনে তচনচ কৰি পেলাইছিল অসমৰ পৰিৱেশ। লাহে লাহে কমিবলৈ লৈছিল হুলস্থুলবোৰ। আন্দোলনকাৰী সংগঠনৰ নেতা সকলে বান্ধি দিয়া নিয়ম অনুসৰি কেৱল নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট স্থানতহে প্ৰতিবাদ হ'বলৈ ল'লে। ৰাজপথত আজিকালি প্ৰতিবাদৰ নামত মানুহ প্ৰায় নোলাই বুলিবই পাৰি। বেছি মানুহ হয় খেলপথাৰত আয়োজন কৰা শিল্পী আৰু সংগঠনৰ নেতাৰ অনুষ্ঠানত। তাতেই তেওঁলোকে গোট খাই তাৰ পৰাই ৰজাঘৰলৈ গোজৰণি তোলে। ৰাইজো উবুৰি খাই পৰি খেলপথাৰৰ সভাৰ পৰাই প্ৰতিবাদ চলাই গৈছে। তুলনামূলক ভাৱে পৰিস্থিতি বহুখিনি শাম কাটিছিল। ছাত্ৰ সন্থাই আইনখনৰ বিৰুদ্ধে আদালতত গোচৰো তৰিছিল। ৰাইজ আশাবাদী, ৰায়দান জনতাৰ পক্ষতে হ'ব। জুই বৰ্ষা সময়বোৰ স্তিমিত হৈছিল ক্ৰমান্বয়ে।

"নলওঁ, কেতিয়াও নলওঁ আৰু নাযাওঁ। যিটো সময়ত ৰাস্তাৰ পৰা পাঁচটা ল'ৰাৰ তেজ শুকুৱাই নাই সেই সময়ত কেতিয়াও কনভ'কেচন ল'বলৈ নাযাওঁ। পাতক ইউনিভাৰ্চিটীয়ে যি পাতে।"

অভিমন্যুয়ে ফোনত চিঞৰি কোৱা কথাটোৱে সন্ধ্যাকো ভবাই তুলিলে ; সি মিছাও কোৱা নাই। এইখিনি সময় কনভ'কেচনৰ বাবে উপযুক্ত নে!

Kaushik

আন্দোলনৰ মাত্ৰা প্ৰথমতকৈ কমি অহাৰ লগে লগে গাড়ীবোৰ অলপ অলপকৈ চলাৰ আৰম্ভ কৰিছিল। তেনেকুৱাতে এদিন সন্ধ্যা ঘৰলৈ ঘূৰি আহিছিল। অনুৰণহঁতকে ধৰি দূৰৰ খিনি থাকি গৈছিল কেম্পাছতে। অৱশ্যে সিহঁত থকাৰ অইন এটা কাৰণো আছিল। কাৰণ সন্ধ্যা ঘৰলৈ অহাৰ কেইদিন মানৰ পাছতে খবৰটো ওলাল। ইউনিভাৰ্চিটীত হেনো কনভ'কেচন পাতিব। আগৰ বৰ্ষ ৰৈ যোৱাৰ বাবে দুটা বেটছৰ একেলগে। অৰ্থাৎ প্ৰিয়ানুজ, দীপকহঁতৰ লগতে অভিমন্যুহঁতৰো একেলগে। সকলো আচৰিত হৈছিল। এই সময়ত কনভ'কেচন! অসমৰ লগতে কা বিৰোধী আন্দোলন এতিয়া গোটেই দেশতে বিয়পি পৰিছে। ই আনকি অসমতকৈও ভয়াৱহ ৰূপ ধৰিছে দিল্লী, কলিকতা আদিত। তেনেস্থলত এইবোৰৰ মাজত কনভ'কেচনৰ আয়োজন কিমান গ্ৰহণযোগ্য বাৰু! এবাৰ ষ্টুডেন্ট কাউন্সিলে কৈ চালে বিশ্ববিদ্যালয় প্ৰশাসনক। তেতিয়া তেওঁলোকে ক'লে যে কনভ'কেচন যিহেতু কিবা কাৰণত আগৰ বাৰো নপতাকৈ থাকি গ'ল গতিকে এইবাৰ দুটা বেটছৰ একেলগেই পাতিব। মাত্ৰ আন বাৰৰ দৰে এইবাৰ কোনো ধৰণৰ সাংস্কৃতিক অনুষ্ঠান নহয়। কেৱল কনভ'কেচনৰ চাৰ্টিফিকেট লোৱা আৰু ৰাতিলৈ যিটো নৈশ ভোজৰ আয়োজন কৰা হয়, সেইখিনি লৈকে সীমাবদ্ধ থাকিব।

তথাপি চাৰিওফালে আকৌ আৰম্ভ হৈছিল সমালোচনা। ঠাট্টা কৰিছিল এফালৰ পৰা তেজপুৰ ইউনিভাৰ্চিটীক,

"গোটেই থনত এতিয়াও আন্দোলনৰ জুই শেষ হোৱা নাই। কিন্তু সিহঁতৰ আকৌ কনভ'কেচন লোৱাৰ উৎপাত।"

আৱেগত আহি এবাৰ প্ৰিয়ানুজহঁতেও সিদ্ধান্ত লৈছিল যে সিহঁতে কনভ'কেচন নলয়। কিন্তু ময়ূঁৰে কথাটো নামানিলে। সিয়েই বুজাইছিল প্ৰিয়ানুজক,

"কিয় নল'ব দাদা? কনভ'কেচন কি চৰকাৰে আপোনাক টোপ দিছে নেকি? এইয়া আপোনালোকৰ কষ্টৰ ফল। ৰজাঘৰৰ ললিপপ নহয় যে দলিয়াই পেলাব।"

কিন্তু বহুতে মানি লোৱা নাছিল। সেই দিনা হেনো কোনোবা পুৰণি ষ্টুডেন্টে প্ৰিয়ানুজক ঠাট্টাৰ সুৰত কৈছিল,

"কি হে? ইমান অগ্নি বৰষা ভাষণ দি এতিয়া কনভ'কেচন লোৱাৰ উৎপাত যে? ক'লৈ গ'ল জাতিপ্ৰেম এতিয়া?"

প্ৰিয়ানুজে একো ক'বলৈ নৌপাওঁতেই কাষতে থকা ময়ূঁৰে গৰজি উঠিছিল,

Kaushik

"দুবছৰ নাইবা চাৰি বছৰ ধৰি exam, assignment, presentationৰ বৰষুণত জুৰুলা হৈ কষ্টৰে অৰ্জন কৰা শিক্ষাৰ স্বীকৃতিখিনি ৰাজহুৱা ভাৱে গ্ৰহণ কৰাত যদি আপোনালোকে জাতি প্ৰেমৰ কথা আনে তেন্তে তাক অনৰ্থক বুলিয়েই ক'ম। আমাক কোনেও দয়া কৰি ডিগ্ৰী দিয়া নাই। এয়া আমাৰ অধিকাৰ ; তথাকথিত টোপ নাইবা ললিপপ নহয়। আন্দোলন কৰি আহিছো আৰু কৰি যাম। জাতি আৰু ভাষাৰ অস্তিত্ব ৰক্ষাৰ দায়িত্বও পালন কৰিম নিষ্ঠাৰে। কিন্তু নিজৰ অধিকাৰ সমূহক দলিয়াই নহয়, আজুৰি আনিহে।"

ময়ূঁৰৰ কথাত ল'ৰাজন সেই ফালেই তাপ মাৰিলে। প্ৰিয়ানুজে গৰ্বৰ হাঁহিৰে চাইছিল ময়ূঁৰলৈ। এই দুমাহতে ল'ৰাটোক বহুত ডাঙৰ যেন লাগি গৈছে। আজি সি অকল প্ৰিয়ানুজকেই নহয়, গোটেই ইউনিভাৰ্চিটীকেই যেন ঢালৰ দৰে ৰক্ষা কৰিছে। ময়ূঁৰৰ সেই কথাখিনিয়েই সি ছচিয়েল মেডিয়াতো প্ৰকাশ কৰিছিল। তাৰ পাছত আৰু তেজপুৰ ইউনিভাৰ্চিটীত পতা কনভ'কেচনক লৈ কোনেও একো প্ৰশ্ন তোলা নাছিল।

কিন্তু কনভ'কেচনটো এই সময়ত মানি ল'ব পৰা নাছিল অভিমন্যুয়ে। ময়ূঁৰৰ যুক্তিক সি সন্মান কৰিছিল যদিও নিজে বিৰত আছিল এই অনুষ্ঠানৰ পৰা। সেইবাবে সি কনভ'কেচন ল'বলৈ নাযায়। ঘৰৰ পৰা সন্ধ্যাই ফোন কৰি সোধোতেও সি সেই কথাই দোহাৰিলে। অৱশ্যে সি এতিয়াও দিল্লীতে আছে। তথাপি সন্ধ্যাই এবাৰ শেষবাৰৰ বাবে কৈ চালে,

"ভাবিছিলোঁ কনভ'কেচনতে তোক লগ পাম।"

"লগ পামতো। নেক্সট ছেমৰ লাষ্টত তহঁতৰ ফেয়াৰৱেলবোৰ যেতিয়া হ'ব তেতিয়া গুছি যাম মইও। মে'ৰ লাষ্টৰ ফালে। তেতিয়া ভালকৈ লগ পাম দে।"

অভিমন্যুৰ কথাত সন্ধ্যাই মুখখন ফুলাই ক'লে,

"হ'ব আৰু যা। ইমান দিন আছে তেতিয়ালৈ।"

"আৰে চাওঁতে চাওঁতে গুছিয়ে যাব। আৰু এনেও ফেয়াৰৱেলত তই কম কান্দিবি নে? গতিকে মইতো থাকিবই লাগিব। নহ'লে বানপানী হৈ যাব চোন।"

কথাটো কৈ হাঃ হাঃ কৈ হাঁহিছিল সি। সন্ধ্যাই কৃত্ৰিম খং দেখুৱাইছিল,

"যাহ এইডাল। বেছি অলপ। পখী কিন্তু যাব কনভ'কেচনত। মইও যাম তাইৰ লগতে। পুৰণা বহুতক লগ পাম।"

Kaushik

"ভালেই দে। গৈ আহ।"

অলপ সময় কথা পাতি ফোনটো ৰাখিলে অভিমন্যুয়ে। বহুত দিনৰ মূৰত তাক লগ পোৱাৰ আশাটোও পূৰণ নোহোৱাত মনটো সেমেকিছিল যদিও আশা কৰিছিল সন্ধ্যাই, ইউনিভাৰ্চিটীত তাইৰ ফেয়াৰৱেলত অন্ততঃ অভিমন্যু তাইৰ লগত থাকিব।
ইউনিভাৰ্চিটীয়ে দিয়া আটাইতকৈ প্ৰিয় বন্ধুটোৰ লগতে তাই ইউনিভাৰ্চিটীৰ পৰা বিদায় ল'ব ২০২০ ত। বেচেৰী সন্ধ্যাই কল্পনাও কৰিব পৰা নাছিল, কি এটা ভয়ংকৰ বছৰে অপেক্ষা কৰি আছে সিহঁতবোৰে। নিয়তিয়েও অট্টহাস্য কৰিছিল সন্ধ্যাৰ অগোচৰে।

"পশ্চিমৰে কাঁচি জোন,

কেনি যোৱা ৰুণেজুন,

মৰমেৰে মাতিছোঁ,

হাঁহি এটি মাৰা চোন"

Essential পাৰ হৈ সোৱণশিৰীৰ ফালে যাওঁতেই হঠাৎ কোনোবাই চিনাকি মাতেৰে জুৰা বিহুফাঁকি শুনি পথী আৰু সন্ধ্যা দুইজনীয়েই ৰৈ গ'ল। সন্ধ্যা কালি আবেলিয়েই আহিল ইউনিভাৰ্চিটীলৈ। আহিয়েই ৰুমটো ঠিক ঠাক কৰিলে। নন্দিনীহঁতক হোষ্টেলৰ কাম কাজতো অলপ লাগি মেলি দিলে। হোষ্টেলৰ পুৰণা ছোৱালীবোৰ আহিব লাহে লাহে। কনভ'কেচনৰ সৌন্দৰ্য এইখিনিতেই। এটা পুৰনৰ্মিলন হোৱাৰ দৰে হয়। এবছৰৰ মূৰত পুনৰ সেই একেই ঠাইত একেই লগৰবোৰৰ লগত একেদৰেই আড্ডা মৰা, খোজকঢ়া, কথা পতা আদিবোৰৰ বাবেই সকলোৱে পাছ কৰি যোৱাৰ পাছত এই দিনটোলৈয়ে আশাৰে বাট চাই থাকে। পথী ডিব্ৰুগড়ৰ পৰা বাহিৰে আহিছে তেজপুৰলৈ। এসময়ৰ উৎপতীয়া পথীজনী যে এতিয়া ডিব্ৰুগড় ইউনিভাৰ্চিটীৰ গৱেষক ছাত্ৰী সন্ধ্যাৰ বিশ্বাসেই নহয়। তাই আহি পাইয়ে সন্ধ্যালৈ ফোন কৰিছে,

"তই মেইন গেটলৈ আহ না। অকলে অকলে কেম্পাছটোত সোমাবলৈ মোৰ কিবা লাজ লাগে।"

হাঁহিত থাকিব নোৱাৰা হৈছিল সন্ধ্যা,

"হে ভগৱান, তোৰো নো লাজ লাগে নে?"

সেইবাবেই সন্ধ্যা আগবাঢ়ি গৈছিল পথীক আদৰি আনিবলৈ। পি এইচ ডি কৰি আছে যদিও একেবাৰে একেই আছে তাই। সেই একেই চঞ্চলতা, একেই উৎপতীয়া। সন্ধ্যাক দেখিয়েই সাৱটি ধৰিছিল। অনৰ্গল কথা কৈ কৈ আহি থকা পথী আৰু সন্ধ্যা ৰৈ গৈছিল Essentialৰ সমুখত সেই বিহুটো শুনি। এপাক ঘূৰি চাইও কাকো নেদেখি পুনৰ হোষ্টেলৰ ফালে খোজ লওঁতেই আকৌ বিহু জুৰিলে,

"হাঁহি এটি মাৰাচোন,

কাষে চাপি আহাচোন,

খবৰ খাতি ল'বলৈ,

ঠিকনাটি দিয়া চোন।"

এইবাৰ পথী খঙত আগবাঢ়ি গ'ল,

"কি অভদ্ৰ অ'? এই ৰাতিপুৱাই ছোৱালী জোকাবলৈ কোন বহি আছেহি ইয়াত?"

পিছে Essentialৰ গছজোপাৰ আঁৰত থকা টেবুলখনৰ ওচৰলৈ গৈ থং কেনিবা উৰি গৈছিল পথীৰ। হাঁহি হাঁহি গছজোপাৰ আঁৰৰ পৰা ওলাই আহিছিল দীপক, তৌফিক, প্ৰিয়ানুজ আৰু ময়ূঁৰ।

"আৰে, দীপক দা তৌফিক দা। আপোনালোক।"

চিঞৰ এটা মাৰি সন্ধ্যাও গৈছিল সেইখিনিলৈকে। পথীয়ে দীপকক ঢকা এটা মাৰি ক'লে,

"বাহ, কি হে দীপু। তুমি ছোৱালী জোকাবও পৰা হ'লা আজিকালি।"

"ঐ, এইবোৰ গায়ে পিঠিয়ে ধৰিহে কথা ক'ব পাৰ নেকি? এইজনী যে সেই নিলাজী জনীয়ে হৈ আছে।"

বহুদিনৰ মূৰত দীপকৰ বিশেষ ভংগীমাৰ কথা কেইটা শুনিবলৈ পাই হাঁহিত বাগৰি পৰিছিল সন্ধ্যাহঁত। পথীয়ে ওলোটাই কৈছিল,

"তই বিহু গাই গাই ৰাস্তাৰে যোৱা ছোৱালী জোকাই থাকিলে একো নহয় ন?"

"বাকী তৌফিক দা কি খবৰ? হায়দৰাবাদত কোনোবা বেগমক পাইছে নে নাই?"

Kaushik

সন্ধ্যাৰ কথাত তৌফিকে হাঁহি মাৰি ক'লে,

"নাই হে, অসমৰ নিচিনা ক'তো নাই বুইছা।"

কথা পাতি পাতি সিহঁত যেন ঘূৰি গৈছিল প্ৰায় দুবছৰ আগৰ দিনবোৰলৈ। অলপ পাছতে সিহঁতৰ লগত হিমাদ্ৰী আৰু চন্দ্ৰালীয়েও যোগ দিলেহি। কথাৰ মাজতে সেই শিখাক পলুৱাই অনাৰ কথাও ওলাল।

"সঁচা দেই ভাল সাহস কৰিছিলোঁ কিন্তু আমি ন?" চন্দ্ৰালীয়ে ক'লে।

"এৰা, পিছে বিয়াতে বিয়া ওলোৱা কোনোবাই সেইটোৰে গইণা লৈ নিজৰো সংসাৰ কৰিলে। আমিহে বৰলা হৈয়ে ৰৈ গ'লো।"

দীপকৰ কথাত হাঁহি তলমূৰ কৰিলে পথীয়ে। সি যে অভিমন্যু আৰু তাইৰ কথাই কৈছে বুজিবলৈ বাকী নাই। হিমাদ্ৰীয়ে লগে লগে চিঞৰি উঠিল,

"এইটো পাহৰিয়ে আছিলোঁ নহয়। পথীয়ে ভাল পাৰ্টী এটা দিব লাগিব কিন্তু দেই। তোমাৰ তেখেততো নাহিলেই।"

"আমাৰ সন্ধ্যাকো চাই মেলি দিয়া হে। বেচেৰীৰ শেষেই হ'বৰ হ'ল ইউনিভাৰ্চিটী।"

তৌফিকে সন্ধ্যালৈ চাই ক'লে। পথীয়ে লগে লগে কৈছিল,

"এইবাৰ সন্ধ্যাৰো সংসাৰৰ গতি লগাব লাগিব।"

অলপ সময় কথা পাতি সিহঁত ভাগে ভাগে গ'ল। কাইলৈ দিনত কনভ'কেচন আৰু ৰাতিলৈ কমিউনিটী হলত খানা। লগ পোৱাৰ কথা দি সকলো নিজৰ নিজৰ হোষ্টেল পালেগৈ।

লাহে লাহে চিনাকি মুখৰে ভৰি পৰিছে আজি কাঞ্চনৰ চহৰখন। কিছু হাঁহি, পুৰণি কাহিনীক সুঁৱৰি ; কিছু হুমুনিয়াহ, সময়ৰ নিঠুৰতাক দোষী। আজি যেন কাঞ্চন পূৰ্ণ মনৰ জোখাৰে। ঠায়ে ঠায়ে চিনাকি মুখৰ হাঁহি আৰু উকিবোৰে চৌহদটো ৰঙীন কৰি তুলিছে। কোনোবাই যদি পুলত বহি লগৰবোৰৰ লগত পঢ়ি থকা দিনৰ কথা পাতিছে, কোনোবাই আকৌ এমিনিটীত বহি ধোঁৱাৰে বাংময় স্মৃতিৰ টোপোলাটো খুলিছে। কোনোবাই যদি ফিল্ডত দৌৰি এৰি অহা সময়ক থপিয়াইছে, কোনোবাই আকৌ নিৰিবিলিৰ বেঞ্চত বহি নোকোৱা কবিতা আওৰাইছে। সকলো ফালে যেন উৎসৱৰ

kaushik

বতৰ। এৰা, সেইবাবেই চাগে "নাহৰৰ নিৰিবিলি ছাঁ"ত অনুৰাধা বাইদেৱে লিখিছিল, "সময়ৰ কেলেণ্ডাৰ পুৰণি নহয়।"

এইবোৰৰ মাজতো সন্ধ্যাৰ মুখৰ উদাস হাঁহিটো পখীৰ চকুৰ পৰা সাৰি যোৱা নাছিল। ৰাতি শোৱাৰ সময়ত তাই নিজেই সুধিলে,

"ৰুণজুন, তই চাগে অভিমন্যুক মিছ কৰিছ ন?"

সেমেকা হাঁহিৰে উত্তৰ দিলে সন্ধ্যাই,

"মনততো পৰিবই। পুৰণা চবকে লগ পালোঁ তাৰ বাহিৰে। সি যোৱাৰ পাছত কি কি হৈ গ'ল, সেয়াতো সি একোৱেই নাজানে।"

অলপ ৰৈ সন্ধ্যাই আকৌ ক'লে,

"সি তাত বহুত ব্যস্ত হৈ গ'ল। মানিছোঁ। কিন্তু মোকতো কৈছিল যেতিয়া মই একেবাৰে অকলশৰীয়া হৈ যাম, তেতিয়া সি আহিব। তেন্তে ক'তা, কিয় নাহিল সি?"

শেষৰ ফাললৈ সন্ধ্যাই ফেঁকুৰি উঠিছিল। পখীয়ে তাইৰ মূৰত হাত ফুৰাই ক'লে,

"মন বেয়া নকৰিবি অ'। সি আহিম বুলি কৈছে যেতিয়া আহিবই। তইতো তাক মোতকৈও ভালকৈ বুজি পাঁৰ। তইয়ে ক, অভিমন্যু জানো সলনি হৈ যোৱা ল'ৰা? আৰু যিয়ে নহওঁক কিয় ৰুণ, অভিমন্যুৰ জীৱনত তোৰ স্থান আন কোনেও ল'ব নোৱাৰে। সেইটো আনে নাজানিলেও তাৰ গাৰ্ল ফ্ৰেণ্ড হিচাপে মই অন্ততঃ জানো।"

পখীৰ বুজনিত শান্ত হৈছিল সন্ধ্যা। অলপ সময় কোনেও কথা নোকোৱাকৈয়ে পাৰ কৰিলে। এবাৰ পখীয়ে আকৌ সুধিলে,

"ৰুণজুন, অনুৰণৰ কি খবৰ? তাক আজি লগো নাপালোঁ।"

সন্ধ্যা নিশ্চুপ। পখীয়ে আকৌ সুধিলে,

"ৰুণ, একো নক'লি যে?"

এইবাৰ তাই সন্ধ্যালৈ চাওঁতে দেখিলে তাই টোপনি গৈছে। "ঔ, এইজনী শুলেই" বুলি গাৰ কাপোৰখন অলপ উঠাই দি পখীয়েও চকু মুদিলে।

Kaushik

গালেৰে বৈ অহা চকুৰ পানীখিনি খুব সাৱধানেৰে মচিছিল সন্ধ্যাই। মুখখন চেঁপি ধৰিছিল জোৰকৈ। যাতে পথীয়ে গম নাপায়। কেনেকৈ ক'ব তাই পথীক যে অনুৰণ তাৰ প্ৰেমিকা অনুৰাধাৰ লগত আজি ঘৰলৈ যোৱাৰ টিকট কাটিবলৈ টাউনলৈ গৈছিল।

পিছদিনা কনভ'কেচন লোৱা ছাত্ৰ ছাত্ৰীসকলে তেজপুৰ ইউনিভাৰ্চিটীত পুনৰ দাঙি ধৰিছিল অইন এটা দৃষ্টান্ত। কনভ'কেচন ল'ব লগা ষ্টুডেণ্ট খিনিয়ে আগৰ পৰাই এটা কথা ইউনিভাৰ্চিটিক স্পষ্টকৈ জনাই দিছিল যে যদি কোনো শাসকীয় দলৰ চৰকাৰী লোক কনভ'কেচনত অংশ লয় তেন্তে কোনো শিক্ষাৰ্থীয়ে কনভোকেচন নলৈ সুদা হাতে উভতিব। প্ৰাক্তন শিক্ষাৰ্থী সকলৰ এনে সিদ্ধান্তই বিশ্ববিদ্যালয়ৰ প্ৰতিবাদ কৰা সকলোকে নতুন উৎসাহ দিছিল। তেজপুৰ বিশ্ববিদ্যালয়েও তেওঁলোকৰ সিদ্ধান্তত সন্মান জনাই কোনো চৰকাৰী লোকক আমন্ত্ৰণ কৰা নাই। কনভ'কেচন লৈ আহি ফিল্ডখন ভৰি পৰিছিল ষ্টুডেণ্টেৰে। ডাঠ মটিয়া ৰঙৰ ৰ'বটো পিন্ধি ৰাজ্যপালৰ হাতৰ পৰা চাৰ্টিফিকেট লৈ ফটো উঠিবলৈ সকলো ফিল্ডলৈ ওলাই আহিছিল। গোটেই ফিল্ডখন মটিয়া ৰঙহেন হৈ পৰিছিল। তেনেকুৱাতে কনভ'কেচন পোৱা ছাত্ৰ ছাত্ৰীসকলে এটা হাতেৰে কনভ'কেচনৰ মেডেল, চাৰ্টিফিকেট লৈ আনটো হাতেৰে কা বিৰোধী প্লে কাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰিছিল। বাস্কেট বল কোৰ্টত বহি থকা গোটেই ষ্টুডেণ্ট খিনিক তদাৰক কৰা স্নেহাংশু দাৰ ওচৰ পাই সন্ধ্যাই ক'লে,

"আপোনালোকৰ এইটো ষ্টেপে আমাক বহুত সাহস দিলে দাদা।"

"সাহসৰ কামটো তহঁত বোৰে কৰিছ। TUৰ নিচিনা ঠাইত ইমান হিউজ এটা প্ৰটেষ্ট। উই আৰ প্ৰাউড অফ ইউ অল।"

স্নেহাংশুয়ে গৌৰৱৰ হাঁহি মাৰি কৈছিল। সঁচাকৈ একেটা পৰিয়ালৰ মানুহৰ কামে সদায় অগ্ৰজ সকলৰ মুখত গৌৰৱৰ হাঁহি বিৰিঙাই।

অলপ পাছত দুই এটা চেনেলৰ কেমেৰাও সিহঁতৰ ওচৰ চাপি আহিল।

"কনভ'কেচন আমাৰ অধিকাৰ আমাৰ প্ৰাপ্য। কনভ'কেচন লোৱাৰ অৰ্থ এইটো নহয় যে আমি চৰকাৰৰ ওচৰত সেও মানিছোঁ। কা আমি মানি লোৱা নাছিলোঁ আৰু আগলৈও নলওঁ। জয় আই অসম।"

Kaushik

স্নেহাংশুয়ে চেনেলৰ কেমেৰাৰ আগত কথাখিনি কোৱাৰ লগে লগে কনভ'কেচন লৈ অহা সকলোৱে একমুখে চিঞৰি উঠিছিল,

"জয় আই অসম"

সেইদিনা ৰাতিলৈ কমিউনিটী হলত খানা। কুঁৱলীৰ ডাঠ জালৰ মাজতো মানুহেৰে ভৰি পৰিছিল ফিল্ডখন। কাইলৈৰ পৰা আকৌ খালী হৈ পৰিব চৌহদটো। হেঁপাহৰ এই সময়খিনি ধৰি ৰাখিবৰ বাবে চেঁচা কুঁৱলীকো অৱজ্ঞা কৰি ওলাই আহিছিল সকলো। শেষ বাৰৰ বাবে যেন হেঁপাহ পলুৱাই জী ল'ব এই জীৱনটো।

কমিউনিটী হলত খাই থাকোঁতে কথাটো ওলাল সকলোৰে মুখে মুখে, কাইলৈ হেনো অসম বন্ধ। অৰ্থাৎ গাড়ী মটৰ নচলে একো। বহুতৰ মাজতে হুলস্থুল লাগিল। বহুতে ঘৰলৈ ফোন কৰি মাক দেউতাকক মাতি পঠালে। পথী গুৱাহাটী যাবলৈ কাইলৈ লগৰ ছোৱালী এজনীৰ লগত। গতিকে তাইৰ বিশেষ চিন্তা নাই। কিন্তু চিন্তা সন্ধ্যাক লৈহে। বেচেৰী অকলশৰীয়া হ'ব। ইফালে কাইলৈৰ পৰাতো হোষ্টেলৰ খানাও নচলে। সেই কথাকে পাতি আছিল সিহঁতে ফিল্ডৰ মাজত।

Kaushik

"কি খবৰ পথী?"

কাৰোবাৰ মাত শুনি পথীহঁতে ঘূৰি চাই দেখে অনুৰণ ৰৈ আছে। পথীয়ে হাঁহি মাৰি ক'লে,

"আৰে কি খবৰ তোমাৰ? মই কালি সুধিছোঁ হে সন্ধ্যাক। দেখাই নাই তোমাক।"

"কালি বাছৰ কাৰণে টিকেট কৰিব গৈছিলোঁ অ'। পিছে এতিয়া কাইলৈতো বন্ধই। পৰহিলে হে যাব বোলে বাছখন।"

"অহ। মইতো কাইলৈ গুৱাহাটী গৈ আছোঁ। এই সন্ধ্যালৈহে চিন্তা।"

পথীৰ কথাত সন্ধ্যাই ক'লে,

"হ'ব আৰু, মই পৰহিলে যাম ঘৰ।"

"কি বিশ্বাস আছে যে পৰহিলে গাড়ী পাবি কালি বন্ধ হোৱাৰ পাছত। আৰু---"

পথীয়ে কথাটো শেষ কৰিবলৈ নাপাওঁতেই কাৰোবাৰ মাত,

"অনুৰণ, তোমাক হলত বিচাৰি আছোঁ আৰু তুমি ইয়াত।"

কথাটো কৈ অনুৰাধাও সেইখিনি পাইছিলহি। অনুৰণে পথীক চিনাকি কৰি দিলে,

"এইয়া পথী, সন্ধ্যাৰ ৰুমমেট আছিল। আৰু আমাৰ অভিমন্যুৰ গাৰ্লফ্ৰেণ্ড।"

"হাই পথী। মই সন্ধ্যাহঁতৰ ক্লাছমেট। আটছা অনুৰণ, ব'লা না মোক হোষ্টেলত থৈ আহিবা প্লিজ। ইমান ঠাণ্ডা লাগিছে। নৰওঁ আৰু।"

অনুৰাধাৰ কথাত তীব্ৰ বিৰক্তিৰে অনুৰণে ক'লে,

"জুৰিহঁত নাই জানো?"

"সিহঁত দেৰিকৈ যাব অ'।"

"ঠিক আছে। ব'লা। পথী, ৰোৱা চোন তোমালোক।" বুলি অনুৰণ অনুৰাধাৰ লগত আঁতৰি গ'ল। প্ৰশ্নবোধক দৃষ্টিৰে সিহঁত যোৱাৰ ফালে চাই থকা পথীক সন্ধ্যাই ক'লে,

"অনুৰণৰ গাৰ্লফ্ৰেণ্ড তাই।"

"কি?" পথী যেন যেন আচৰিত হৈছিল।

"উম।"

"মিছা কথা। মই নামানোঁ। দেখাতে লাগিছে অনুৰণে অশান্তি পাইছে তাইৰ লগত। গাৰ্ল ফ্ৰেণ্ড হ'লে কি এনেকৈ থাকিব নেকি!"

ইমান আত্মবিশ্বাসেৰে কোৱা পথীৰ কথাটোৰে ভবাই তুলিলে সন্ধ্যাকো। পথীক উত্তৰ দিবলৈ একো নাছিল তাইৰ।

"কাইলৈ মই থৈ আহিম তোমাক ঘৰত।"

ফোনত অনুৰণৰ কথাত কি ক'ব ভাবি পোৱা নাছিল সন্ধ্যাই। অথনি ফিল্ডত তাক লগ পোৱাৰ পাছতে ৰুমলৈ অহাৰ পাছত তাই বিছনা পাৰি আছিল। পথী নাই, তাইৰ লগৰ কাৰোবাক লগ কৰিবলৈ গৈছে কপিলীত। তেনেকুৱাতে অনুৰণৰ ফোনটো আহিল। সন্ধ্যাই উঠাওঁতে সি তেনেকৈ ক'লে। সন্ধ্যাই একো নোকোৱা দেখি অনুৰণে আকৌ ক'লে,

"শুনিছা নে? সোনকালে শোৱাৰ পৰা উঠিবা। ৰাতিপুৱাই যাম।"

Kaushik

সন্ধ্যাই লগে লগে একে আষাৰে ক'লে,

"নালাগে হ'ব। মই পৰহিলে--"

তাইক শেষ কৰিব নিদি অনুৰণে ক'লে,

"তোমাক সোধা নাই মই যাবা নে নোযোৱা বুলি। ওলাই থাকিবলৈ কৈছোঁ ৰাতিপুৱা। চব কথাতে জেদ নহয় সন্ধ্যা।"

"জেদ নহয়, সঁচাকৈ কৈছোঁ। নালাগে যাব তুমি।"

"মোৰ কথাও নুশুনা মাইনা?"

ৰৈ গৈছিল সন্ধ্যা। মনৰ সকলো শক্তি একগোট কৰিলেও তাই অনুৰণৰ এই আকুলতাক উপেক্ষা কৰিব নোৱাৰে। কেতিয়াও নোৱাৰে। অন্তৰত থকা সেউজীয়া অনুভৱখিনিক যিমান ইচ্ছা কৰিলেও হেঁচা দি ৰাখিব পাৰিব জানো! লাগিলে সেয়া যিমানেই বিষময় নহওঁক কিয়, সেয়া যে তাইৰ একান্ত আপোন। হৃদয়ৰ নিভৃত কোণত সন্ধ্যাৰ বাবে আজিও অনুৰণ এক পলাশী ফাগুণ। তাই একো নোকোৱা দেখি অনুৰণে আকৌ ক'লে,

"সঁচাকৈ নোযোৱা মোৰ লগত?"

"কিন্তু তুমি তেনেকৈ বাইক লৈ, উভতি আহোঁতে অকলে অকলে।"

"চিন্তা নকৰিবা একো নহয়। অকল এজনে বাইক লৈ আহিলে একো নকৰে। মই আন্দোলন কৰিবলৈ অহা বুলি ক'ম।"

"হ'লেও--"

"যাবা নে নোযোৱা সেইটো কোৱা।"

"ঠিক আছে যাম।"

ফোনৰ সিপাৰে অনুৰণৰ মুখত বিৰিঙি উঠা হাঁহিটো যেন চকুত ভাহি উঠিছে সন্ধ্যাৰ। সেই হাঁহিৰে আভাই জিলিকিইছে তাইৰো মুখ। সন্ধ্যাই অলপ ৰৈ মাতিলে,

"ৰণ"

"কোৱা"

Kaushik

"মোৰ কাৰণে ইমান চিন্তা কিয় কৰা তুমি?"

"তুমি নুবুজিবা।"

"বুজালেহে বুজিম। বুজোৱা আকৌ।"

"থাকক দিয়া চোন। কিছুমান কথা মানুহে বুজাব নোৱাৰে।"

"তেন্তে কোনে বুজাব?"

"সময়ে, অনুভূতিয়ে আৰু---"

"আৰু?"

অলপ ৰৈ অনুৰণে কৈছিল,

"আৰু ভালপোৱাই।"

ক'ব নোৱাৰাকৈ চকুপানী বৈ আহিছিল সন্ধ্যাৰ। মিছা, অনুৰাধা জুৰি সকলোৱে মিছা কৈছে তাইক। অনুৰাধা অনুৰণৰ ভাল বন্ধু হ'ব পাৰে। কিন্তু প্ৰেম কেতিয়াও নহয়, হ'ব নোৱাৰে। এইখিনি আকুলতা, এইখিনি হেঁপাহ কেতিয়াও সন্ধ্যাৰ বাহিৰে আন কাৰোবালৈ থাকিব নোৱাৰে অনুৰণৰ। সন্ধ্যাই খুব জোৰকৈ উচুপনি ৰখাইছিল। খিৰিকীখন খোলা আছিল। বহুদিনৰ মূৰত যেন আজি জোনাক খিনিয়ে তাইৰ ৰুমটো পোহৰাইছে। চেঁচা বতাহ জাক যেন আজি মনৰ ভিতৰলৈকে বৈছে। অনুৰণে আকৌ ক'লে,

"এতিয়া শুই যোৱা। সময়ে সকলো বুজাব। মই বুজালে তুমি নুবুজিবা হে। এনেও বুজোৱাত বেয়া মই।"

সন্ধ্যাই সামান্য হাঁহিছিল। ফোনটো কাটি বিচনাত বাগৰ দিলে। ওচৰৰ ৰুমৰ পৰা গীত এটিৰ কলিটো ভাহি আহিছে,

"অ' মোৰে ৰাধা বুজালে নুবুজা,

মনত আঁকা ছবি তুমি নহ'লেই আধা

অ' মোৰে ৰাধা ভাল পোৱা নোপোৱা,

তুমি হ'লেই পূৰণ হ'ব মোৰ মনৰে আশা"

(আগলৈ)

#নিৰিবিলি

Part 117

"আজি বহুদিনেই হ'ল ; তোমাৰ সৈতে জোনাক নোচোৱা।"

নিশাৰ নীৰৱ ইউনিভাৰ্চিটী। ক্ৰমান্বয়ে ডাঠ হৈ অহা কুঁৱলীৰ চাদৰখনত ষ্ট্ৰীট লাইটে হালধীয়া ৰং সিঁচিছে। দূৰ দিগন্ত ভেদি অহাৰ দৰে জিলিৰ জি জি শব্দটো বিয়পি পৰিছে চৌপাশে। নাহৰ কাঞ্চনৰ পাতবোৰত নিয়ঁৰে নীৰৱে মিলনৰ মালিতা ৰচিছে। মাজে মাজে এটা দুটা কুকুৰৰ ৰাওচি। বয়জ হোষ্টেলৰ পৰা কোনোবা সময়ত ভাহি আহে স্পীকাৰত লগাই থোৱা গানৰ অস্পষ্ট কলি। কোনোবা বাৰত আকৌ গাৰ্লচ হোষ্টেলৰ এজাউৰি খিলখিলনি হাঁহিৰ কিৰিলি। কনভ'কেচনৰ অন্তত নতুন জীৱনৰ পাতনিৰ আগত এবাৰ উভতি চোৱা এজাক যাযাবৰী যৌৱনৰ কেঁকুৰি পাৰ হোৱাৰ যোঁ জা। হোষ্টেলৰ ৰুমবোৰত হয়তো শেষ নিশাৰ গৰম আড্ডা। এৰি থৈ অহা সময়ৰ কোনো বিশেষ মূহুৰ্তৰ সোঁৱৰণি জীপাল কৰিছে চঞ্চল হাঁহিবোৰে। সময়ক থপিওৱাৰ অনৰ্থক প্ৰচেষ্টা। এই হাঁহিবোৰেই শেষ নিশা হুঁমুনিয়াহৰ ৰূপ ল'ব। গধূৰ বুকুৰ উন্মনা মনবোৰক উদাসী আন্ধাৰবোৰে উৰেটো নিশা নিচুকাব। পুৱাৰ ফেঁহুজালিত স্মৃতিৰ জপাটো সামৰি আগুৱাব জীৱনে। ৰৈ যাব কাঞ্চন, ৰৈ যাব পুলবোৰ, এমিনিটী Essentialৰ ঘূৰণীয়া টেবুলবোৰ। অকলশৰে উচুপিব নিৰিবিলিয়ে।

নিৰিবিলিয়ে উচুপি উঠেনে নিজান ৰাতি! কত দৰদী মনৰ কেঁচা কাহিনী বুকুত হেঁচি কেনেকৈ শান্ত হৈ থাকে এই নিৰিবিলি! নিৰিবিলিৰ পুলটোত বহি সমুখৰ পুখুৰীটোলৈ চাই সেইবোৰেই ভাবি আছে ময়ূঁৰে। ষ্ট্ৰীট লাইটৰ পোহৰবোৰে পুখুৰীটোত কিবা যেন অবুজ কেনভাঁছ আঁকিছে। ঢৌবোৰত কঁপি আছে পোহৰবোৰ। আকাশত সেয়া কুঁৱলীয়ে চেলেকা জোন। ষ্ট্ৰীট লাইটৰ পাতলীয়া পোহৰত লাহে লাহে স্পষ্ট হৈ উঠিছে ছাঁয়া মূৰ্তিটো। সৌৱা, ময়ূঁৰলৈ চাই মিচিকিয়াই কৈছে,

"আজি বহুদিনেই হ'ল ; তোমাৰ সৈতে জোনাক নোচোৱা।"

Kaushik

বৈ অহা বতাহজাক বুকুলৈকে গিলি ময়ূঁৰ থিয় হৈছে। সমুখলৈ আগবাঢ়ি কৈ গৈছে,

"তুমিতো সদায় মোৰ সৈতে থাকা।"

"আৰু তুমিও মোৰ সৈতে।"

"মোৰ নিশাৰ চন্দ্ৰাৱলী তুমি।"

"মোৰ পুৱাৰ ফেঁহুজালি তুমি।"

"মোৰ শৰতৰ শেৱালি তুমি।"

"মোৰ বহাগৰ কেতেকী তুমি।"

"মোৰ বৃন্দাবনৰ ৰাধা তুমি।"

"মোৰ বুকুৰ কানাই তুমি।"

ময়ূঁৰ আগুৱাই গৈ আছে। গৈ আছে। জিলিবোৰে বৰ ভয় লগাকৈ শব্দ কৰিছে। দুই এটা কুকুৰে অহৰহ ৰাওচি জুৰিছে। বতাহজাকো বৈ আছে নোৰোৱাকৈ। নিৰিবিলিৰ পুখুৰীটোত কিহবাৰ থলকনি। পানীৰ শব্দ। কিহবাই কলকলাই উঠিছে। নিৰিবিলিৰ কাঞ্চন জোপাত কোনোবা অচিন চৰাই এটা উৰি আহি পৰিছে। পুখুৰীটোত আকৌ থলখল।

"ময়ূঁ--ৰ, ময়ূঁৰ।"

পুখুৰীটোৰ একেবাৰে কাষলৈ গৈ ভৰিখন আগুৱাই দিওঁতেই ময়ূঁৰৰ হাতত থাপ মাৰি ধৰি পাৰলৈ টানি আনিলে অনুৰণে,

"কি হৈছে ময়ূঁৰ? পুখুৰীটোৰ ফালে কিয় আগবাঢ়ি গৈছা? মই নধৰা হ'লেচোন পানীতে পৰিলাহেঁতেন।"

একেথৰে পুখুৰীটোৰ ফালে চাই ময়ূঁৰে অস্পষ্ট মাতেৰে ক'লে,

"ৰা--ধা, ৰাধা"

"কোনো ৰাধা নাই ইয়াত। ব'লা। হোষ্টেল ব'লা। ইমান কুঁৱলী পৰিছে। বেমাৰ হ'ব।"

অনুৰণে হাতত ধৰি লৈ আনিলে ময়ূঁৰে। মুখেৰে টু শব্দ নকৰি তাৰ লগতে পাটকাইৰ ফালে গৈ থাকিল ময়ূঁৰ। গোটেই বাটটো কুঁৱলীয়ে মণিব নোৱাৰা কৰি থৈছে। সমুখৰ

Kaushik

পৰা কোনোবা আহি খুন্দা মাৰিলেও যেন ধৰিব নোৱাৰিব। অথনি সন্ধ্যাৰ লগত কথা পাতি পাতি কোন সময়ত এইখিনি পালেহি অনুৰণেও নাজানে। নিৰিবিলি পাওঁতেই কাৰোবাৰ মাত শুনা যেন পাই চাওঁতেই সি ময়ূঁৰক দেখিলে। পানীৰ ফালে আগবাঢ়ি গৈ থকা ময়ূঁৰক লগে লগে টান মাৰি লৈ আনিলে সি। নহ'লে যে কি অঘটন হ'লহেঁতেন। এবাৰ পুখুৰীটোৰ ফালে উভতি চাই ময়ূঁৰ অনুৰণৰ লগতে পাটকাইলৈ আগবাঢ়িল। পুখুৰীটোৰ পানীখিনি তেতিয়া শান্ত।

"এ জোনবাই এ

বেজী এটি দিয়া বুলি পদ্য মতা বয়সত

তুমি পঢ়িছিলা চোতালতে পাৰি নগাঢাৰীৰ ওপৰত

আৰু মই তোমালে---"

ৰুমটোৰ পৰা ভাহি আহিছে এটাৰ পাছত আন এটাকৈ বিহু। লগতে সুৰ মিলাই কোনোবাই গাইও গৈছে। মাতটোতে চিনি পাইছে সন্ধ্যাই, সেইজনী আমাৰ মহাৰাণী পখী।

"একদম স্বভাৱ সলনি নহ'ল এই ছোৱালীজনীৰ।"

মুখেৰে ভোৰভোৰাই দুৱাৰত ঢকিয়ালে সন্ধ্যাই। সেই অথনিতেই তাইক আহি আছোঁ বুলি কৈ পখী নোহোৱা হ'ল। সন্ধ্যাই কাইলৈ যাবলৈ নিজৰ লগতে পখীৰো কাপোৰ জাপি বিচনা পাৰি অঁতাইও আজৰি হ'ল। কিন্তু পখী নাই যি নাইয়েই। শেষত সন্ধ্যাই খঙত নিজেই তাইক বিচাৰি ওলাল। বেছি বিচাৰিব লগা নহ'লেই। যিটো ৰুমত বেছি হাল্লা হৈ আছে তাতেই যে পখী মহাৰাণী থাকিব সেইটো ভালকৈ জানে সন্ধ্যাই। তাইৰ অনুমানেই ঠিক। কংকনা আৰু ভাস্বতীৰ ৰুমত সোমাই এই দুপৰ ৰাতি বিহু নৃত্য প্ৰদৰ্শন কৰি আছে আমাৰ পখীয়ে। সন্ধ্যাই আকৌ এবাৰ জোৰকৈ ঢকিয়ালে। অলপ পাছতে পখীয়েই দুৱাৰখন খুলি দিলে। লগতে চিঞৰ,

"কোনে কামোৰ দি আছ বে?"

চকু ঘোপা কৰি ৰৈ থকা সন্ধ্যাক দেখি লগে লগে সুৰটো নৰম হ'ল পখীৰ,

"অঁ, আমাৰ সন্ধ্যা। আহ, ভিতৰলৈ আহ আকৌ।"

Kaushik

সন্ধ্যাই গালি আৰম্ভ কৰি দিলে,

"চুপ থাক। এইমাত্ৰ আহি আছোঁ বুলি কৈ দেখা দেখি নাই। তাতে এই মাজৰাতি খন ৰূমত এই পাগলামী। তইঁতৰ টোপনি নাই বুলি গোটেই হোষ্টেলত কাৰো টোপনি নাই নেকি?"

এইবাৰ ভাস্বতী আগবাঢ়ি আহিল,

"হেই সন্ধ্যা, থংনো কেলেই কৰিছ? আজি শেষ বুলিহে আৰু।"

"বহুত হ'ল। এতিয়া ব'ল। কাইলৈ যাবলেও আছে।"

পথীক হাতত ধৰি জোৰকৈ টানি লৈ আনিলে সন্ধ্যাই। ৰূমত আহি সন্ধ্যাৰ বেগো পেকিং কৰি থোৱা দেখি পথীয়ে সুধিলে,

"তইও যাবি নেকি কাইলৈ?"

"অঁ, অনুৰণে থৈ আহিম বুলি ক'লে।"

"কোনে কোনে? অনুৰণে?" পথীৰ মাতটো ডাঙৰকৈ ওলাল। সন্ধ্যাই "অঁ" বুলি কোৱাত তাই আকৌ ক'লে,

"মোৰ কিয় জানো এনেকুৱা লাগে, অনুৰণে যেন তোক ভাল পাই নেকি।"

সন্ধ্যাই একো নামাতিলে। টেবুলৰ ওপৰত থকা বস্তুবোৰ চাফা কৰাত লাগিছিল তাই। পথীয়ে তাইৰ উত্তৰলৈ বাট নাচাই কৈ গৈছে,

"আৰু অথনিৰ যে ছোৱালীজনী, কি নাম আছিল? অঁ অনুৰাধা। ধুৰ, তাই যে অনুৰণৰ গাৰ্লফ্ৰেণ্ড নহয় আৰু। বিহেভিয়াৰতে গম পাই নহয়।"

কাম কৰি থকাৰ পৰাই সন্ধ্যাই মাত দিলে,

"তই পি এইচ ডি ছচিয়লজীত কৰিছ নে চাইকোলজীত অ'?"

"ঠাট্টা কৰিব নালাগে। এতিয়াই নুবুজিলে পিছত কিন্তু মোৰ নিচিনাকৈ কান্দি থাকিবি। মই বাৰু ছেকেণ্ড চান্স পালোঁ। কিন্তু চবেইতো নাপায়।"

পথীৰ কথাৰ একো উত্তৰ নিদি বিচনাত উঠি সন্ধ্যাই ক'লে,

"হ'ব। এতিয়া শুই থাক।"

Kaushik

দুইজনী টোপনিত পৰিল যদিও অজানিতে সন্ধ্যাৰ মনগহনত পুনৰ উকমুকাই উঠিছিল কলিতে মৰহি যোৱা পুৰণি সপোন এটা।

"অ' টিপ টপ দেখিলে আহোঁ বুলি নক'বা সোণজনী

সোণজনী অ' মোৰেনো পানী পৰা ঘৰ,

অ' হাতত চৰিয়া লৈ পানী টুকি থাকোঁতে সোণজনী

সোণজনী ঐ হ'বনো পানীলগা জ্বৰ"

পাটকাইৰ সমুখৰ ৰুমটোত ধলং পলং খোজেৰে বিহু গাই গাই নাচি আছে পাটকাইৰ মেনিয়েল পুটুকণে। লগত এইবাৰ কনভ'কেচন ল'বলৈ অহা ছিনিয়ৰ ষ্টুডেন্ট দুটা মান। শেষ ৰাতিৰ পাৰ্টি বুলি কোনো শোৱা নাই আজি। সময়বোৰক যেন জোৰকৈ ধৰি ৰাখিব।

ময়ূঁৰক লৈ অনুৰণ হোষ্টেলত সোমোৱাৰ লগে লগে পুটুকণে তাৰ ওচৰত আহিও নাচিবলৈ লাগিল। অনুৰণে তেতিয়াহে দেখিলে সমুখৰ ৰুমটোৰ চোফাতে বহি আছে প্ৰিয়ানুজ, তৌফিক আৰু দীপকো। সিহঁতে নিচা নকৰে যদিও চিনাকিবোৰৰ এই পাৰ্টিটো এৰা নাই। লগ দিবলৈ আহি বহি লৈ আড্ডা মাৰিছেহি। লগত পুটুকণতো থাকিবই। অনুৰণকো বহিবলৈ মাতিছিল কিন্তু সি ময়ূঁৰক ৰুমত থৈ আহিবলৈ গ'ল। ময়ূঁৰ তেতিয়ালৈ বহুখিনি স্বাভাৱিক হৈছিল বাবে সি নিজেই ক'লে,

"অলপ বহোঁ দিয়া ইয়াতে।"

সিহঁত গোটেই কেইটা চোফাতে বহিল। পুটুকণে কেন্টিনৰ পৰা কফি আনি দিলে। লগতে বিদ্যুৎ, ৰক্তিম আৰু মানসহঁতে বিহু মাৰিয়ে আছে। নাচৰ মাজতে এবাৰ ৰৈ পুটুকণে নিচা লগা মাতৰ দোৰোল খোৱা জিভাৰে ক'বলৈ লাগিল,

"বুইছে প্ৰিয়ানুজ দা, জীৱনটো বহুত দুখৰ।"

"কি দুখ আছে অ' তোৰ?" মানসে সোধাত পুটুকণে ক'বলৈ লাগিল,

"বহুত ভাল পাইছিলোঁ তাইক জানে। তাই বেটীয়ে--"

আধাতে ৰৈ আকৌ কয়,

Kaushik

"তাই মানে আমাৰ গাঁৱৰ লখেশ্বৰৰ জীয়েকৰ কথা কৈছোঁ। বহুত মৰম কৰোঁ তাইক। উকণি মৰা শ্বেম্পুৰ পৰা বগা হোৱা চাবোনটো লৈকে কিনি দিওঁ মই। বুঢ়ী ছাগলীজনী খুন্দিয়াই খুন্দিয়াই গাখীৰ উলিয়াও মই তাইলে।"

তাৰ কথা কোৱাৰ ভাঁজত গোটেই কেইটাই গিৰ্জনি মাৰি হাঁহি উঠিছিল। হাঁহি হাঁহিয়ে দীপকে ক'লে,

"হৈছে থ। তাই চাগে তোৰ মুখতো নুমুতে।"

লগে লগে পুটুকণে ভেঁকাহি মাৰি আহিল,

"ই--স মুখতো নুমুটে? হেৰৌ কেতিয়াবাই মুতিলে। আমাৰ সিটো চুবুৰীৰ দেউকণৰ জোঁৱায়েকলে বিয়া হৈ গুছি গ'ল পাখৰীজনী।"

লগে লগে আকৌ ৰুমটো কঁপি যোৱাকৈ সশব্দে হাঁহি উঠিছিল গোটেই বোৰে। পুটুকণৰ প্ৰেমৰ কাহিনীত হাঁহি হাঁহি চোফাতে বাগৰি পৰিছিল প্ৰিয়ানুজহঁত। এইবাৰ অনুৰণলৈ চাই পুটুকণে নিচাতে ক'লে,

"অনুঅণ দা, আপুনি সেই ছোৱালী কণ পতাই নলয় কিয় হে? বঅ ধুনীয়া লাগে আপোনালোকক।"

"কোন ছোৱালী অ'?" তৌফিকে সুধিলে।

"সেই যে সোৰণশিৰীৰ ছোৱালীজনী।"

"সন্ধ্যা নেকি?"

দীপকৰ কথাত ভেকাহি মাৰি পুটুকণে ক'লে,

"এই নেজানো মই সন্ধিয়ায়ে নে দুপৰীয়ায়ে। কিন্তু অনুঅণ দাৰ লগত বৰ মিলে।"

"হ'ব। তই শিকাব নালাগে।" বুলি গহীনকৈ কৈ অনুৰণ থিয় হ'ল,

"প্ৰিয়ানুজ দা, মই শোঁ গৈ দিয়ক।"

"এতিয়াই যে? তুমি পৰহিলৈ হে যাবা।"

"কাইলৈ সন্ধ্যাক ঘৰত থ'বলৈ যাম।"

কথাটো কৈ ৰুমলৈ গৈছিল অনুৰণ। সি যোৱাৰ ফালে চাই তৌফিকে ক'লে,

Kaushik

"ইহঁত দুটা মিলিবও কিন্তু ন!"

মিচিকিয়া হাঁহি এটা জিলিকি উঠিছিল ময়ূঁৰৰ মুখত।

ৰাতিপুৱা উঠি গা ধুই কাপোৰ পিন্ধি থাকোঁতেই ফোনটো বাজিল অনুৰণৰ। অনুৰাধাৰ ফোন। সি উঠালে,

"অঁ কোৱা।"

"তুমি কি সন্ধ্যাক থ'বলৈ যোৱা?"

"অঁ।"

"কিন্তু অনুৰণ, তুমিতো জানা কণ্ডিচন কি হৈ আছে। মোৰ চিনাকি দাদা এজন গাড়ী লৈ যাব। সন্ধ্যা তেওঁৰ লগতে যাব পাৰিব মই কথা পাতিছোঁ।"

"নালাগে। মই নিম।"

"কথা ক'লে শুনিবা অনুৰণ।"

একো নকৈ ফোনটো কাটি দিলে অনুৰণে। ফোনৰ সিপাৰে ওঁঠখন চেঁপি ধৰিছিল অনুৰাধাই। কঁপি উঠিছিল তাই। বাৰে বাৰে চেষ্টা কৰিও কিয় নোৱাৰিলে তাই অনুৰণৰ কাষ চাপিব! তাইতো সঁচাই ভাল পাইছে তাক। তেন্তে! হয়, অনুৰাধাই স্বীকাৰ কৰে যে সন্ধ্যা এজনী খুব ভাল ছোৱালী। যিকোনো এটা ল'ৰাই তাইৰ দৰে এজনী ছোৱালী প্ৰেমিকা হিচাপে বিচাৰিবই। কিন্তু অনুৰণ! ভালকৈ কথাই পাতিব নোৱাৰা লাজকুৰীয়া ল'ৰাটো এনেকৈ সলনি হৈ গ'ল! ভুল কৰিছে নেকি অনুৰাধাই! নজনাকৈ তাই সোমাই পৰিছে নেকি সন্ধ্যা আৰু অনুৰণৰ মাজত! সন্ধ্যাক শত্ৰু বুলি তাই কোনো দিনেই ভবা নাই। বৰঞ্চ সন্ধ্যাৰ ব্যক্তিত্ব, সৰলতা আৰু মৰম আকলুৱা স্বভাৱে আকৰ্ষিত হে কৰে অনুৰাধাক। কিন্তু অনুৰণৰ ক্ষেত্ৰত যে তাই অতদিন অন্ধ হৈ আছিল। যোৱা কেইদিনতে বহুত শিকিলে তাই। বহুত। নাই, আৰু নহয়। এইবাৰ নতুন বছৰত নতুন ৰূপ আৰু নতুন সংকল্প ল'ব তাই। সকলো নতুন হ'ব। মনটো দৃঢ় কৰিলে অনুৰাধাই।

"যোৱা"

Kaushik

"যোৱা মানে? ভিতৰলৈ আহা আকৌ।"

সন্ধ্যাক পদূলিতে নমাই বাইকৰ চাবি পকাবলৈ লওঁতেই তাই অনুৰণক ক'লে। সি উভতি যাবলৈ ওলাইছিল যদিও তাই ৰখালে,

"ঘৰত নোসোমোৱাকৈ যাবা নেকি?"

"এতিয়া নালাগে অ'।"

"ফটুৱামি নকৰিবা দেই, তোমাক এনেকৈ পদূলিৰ পৰা পঠালে ঘৰৰ মানুহে গালিহে দিব মোক। আহা বুলি কৈছোঁ নহয়।"

কথাটো কৈ বাইকৰ চাবিটো খুলি লৈ আনিলে তাই। উপায় নাপাই বাইকখন ষ্টেণ্ডত লগাই অনুৰণো নামি আহিল।

"ৰুণজুন, পালিহি?"

পাপৰিয়ে চোতালতে দেখি মাত লগালে। অনুৰণক দেখি বিশেষ চাঁৱনি এটাৰে সন্ধ্যালৈ চাই ওলাই গ'ল তাই। অনুৰণে বুজি নাপালেও সন্ধ্যাই বুজিছিল চাঁৱনিৰ অৰ্থ।

ড্ৰয়িং ৰুমতে অনুৰণ বহিবলৈ দি সন্ধ্যাই ক'লে,

"মই মাহঁতক মাতিছো ৰ'বা।"

"ঐ, মই বেছি দেৰি নকৰোঁ কিন্তু।"

"উস ৰাম হ'ব অ'। নৰখাওঁ তোমাক দিয়া।"

বুলি সন্ধ্যা ভিতৰলৈ যাবলৈ লওঁতেই খুৰাক ওলাই আহিল,

"অঁ ৰুণ আহিলি।" অনুৰণলৈ চাই ক'লে, "তুমি সেই নাৰ্চিংহোমত লগ পোৱাজন নহয় জানো? কি নাম আছিল!"

"অনুৰণ"

"অঁ অঁ। অনুৰণ। মই ৰুণজুনৰ পৰা খবৰ লওঁ মাজে মাজে।"

খুৰাকে অনুৰণৰ লগত কথা পাতিবলৈ লাগিল। সন্ধ্যাই গৈ মাকহঁতক মাতি আনি চিনাকি কৰাই দিলে। মাকে অনুৰণক কৈছিল,

"ৰুণৰ মুখত শুনিছোঁ তোমাৰ কথা। দেউতাকেও কৈছে। খুব ভাল কৰিলা আহি।"

Kaushik

অনুৰণে শান্ত মাতটোৰে সুধিলে,

"আপোনাৰ গা কেনেকুৱা এতিয়া?"

"এতিয়া অলপ ভাল পাইছোঁ। মাজে মাজে মূৰৰ বিষটো হয়।"

"সময় লাগিব। কিন্তু ভাল হৈ যাব। মাত্ৰ অলপ ৰেষ্টত থাকিব।"

অভিজ্ঞ ব্যক্তিৰ দৰে কৈ গৈছে অনুৰণে। সন্ধ্যা এপাকত উঠি গ'ল পাকঘৰলৈ। খুৰীয়েকক চাহত লাগি দিলেগৈ। চাহ কৰোঁতে খুৰীয়েকে গুণগুণাই আছে,

"আলহী হৈ আহিম এদিন তোমাক চাবলৈ,

দৰা সাজি আহিম এদিন তোমাক নিবলৈ"

সন্ধ্যাই ইংগিত বুজি পাই মাত লগালে,

"হ'ব নেকি? সি বন্ধুহে হয় মোৰ।"

খুৰীয়েকে যেন সুযোগহে পালে,

"প্ৰথমতেতো বন্ধুয়েই। তাৰ পাছতহে লাহে লাহে---"

"ধেৎ খুৰী। কি যে নহয়।"

"আই ঐ দেহি। আমাৰ ৰুণ বাইদেউৰ লাজটো চোৱা। যোৱা যোৱা কথা পাতা গৈ। মই নি আছোঁ চাহ।"

সন্ধ্যাই হাঁহি মাৰি আঁতৰি গ'ল। খুৰীয়েক আগতকৈ সলনি হ'ল বহুখিনি। সেই তেতিয়া যে অকলে কাম কৰিব লগাৰ বাবে ক্ষোভ উজাৰিছিল এতিয়া নাই। সকলো দায়িত্ব অকলেই লয় তেওঁ। এৰা, সময়ে আঘাত যিদৰে দিয়ে আঘাতত মলমো তেনেকৈয়ে সানে।

"ইমানবোৰ মই নোৱাৰিম খাব খুৰী।"

ডাইনিং টেবুলত লুচি ভাজি দি থকা সন্ধ্যাৰ খুৰীয়েকলৈ চাই অনুৰণে ক'লে। লগে লগে সন্ধ্যাৰ দেউতাকে হাঁহি মাৰি কৈছিল,

"পাৰিবা হে ডেকা ল'ৰা।"

Kaushik

"খোৱা চোন। বাইক চলাই আহিছা অত দূৰ। আকৌ যাবলেও আছেই। গা বেয়া লাগিব।"

মাকে হাঁহি হাঁহি কৈছিল। সন্ধ্যাই আঁতৰৰ পৰা চাই ৰৈছিল মাত্ৰ। তাই সদায় ইণ্ট্ৰ'ভাৰ্ট বুলি ভবা অনুৰণ কি সুন্দৰ ভাৱে পৰিয়ালটোৰ লগত মিলি গৈছে। আনকি সৰু খুৰাকৰ ল'ৰা নীলেও অনুৰণৰ কোঁচত বহিছেহি। সৰু সৰু মাতেৰে কৈছে সি,

"মোক বাইকত ফুৰাব নিবা? দিতাই নিনিয়ে।"

"নিমতো। তুমি যাবা মোৰ লগত?"

"যাম যাম। ৰুণ বাও যাব নে?"

"এ ৰুণ বা নালাগে দিয়া। তুমিয়ে মইয়ে যাম।"

"কিয়? তুমি ৰুণ বাক বেয়া পোৱা?"

"নাপাওঁ অ'।"

"তাৰমানে ভাল পোৱা?"

চাৰি বছৰীয়া ল'ৰাটোৰ প্ৰশ্নত কি উত্তৰ দিব বুজি নাপাই অনুৰণ মনে মনে থাকিল। মুখ ৰঙা চিঙা পৰিছিল তাৰ। ওলাই আহিব খোজা হাঁহিটো জোৰকৈ ৰখাই সন্ধ্যাই নীলক কোঁচত লৈ গৈছিল,

"দাদাক খাব দিয়া নীল।"

খাই উঠাৰ অলপ পাছতে অনুৰণ আহিবলৈ ওলাল। সন্ধ্যাৰ মাকে জোৰ কৰিছিল ভাত খাই আহিবলৈ। কিন্তু অনুৰণ নৰ'ল,

"আজি নালাগে। বেলেগ এদিন আহিম দিয়ক। পৰিস্থিতি এনেও বেয়া। সোনকালে গৈ পালে ভাল।"

মাকহঁতেও বেছি জোৰ নকৰিলে। দেউতাকে বাইক লাহে লাহে চলাবলৈ পৰামৰ্শ দিলে। খুৰাকহঁতে আকৌ এদিন আহিবলৈ অনুৰোধ কৰিলে। নীলেও চুমা এটা আঁকি দিছিল অনুৰণৰ গালত। শেষত মাকে তাৰ মূৰত হাত ফুৰাই কৈছিল,

"ভালকৈ যাবা। গৈ পালে খবৰ এটা দিবা ৰুণলৈ।"

Kaushik

"ঠিক আছে। এতিয়া আহিছোঁ মা।"

অনুৰণৰ কথাত চঁক খোৱাৰ দৰে তালৈ চালে সন্ধ্যাই। মা?

মানুহবোৰ বাৰাণ্ডাৰ পৰা ভিতৰলৈ যোৱাৰ পাছত সন্ধ্যাই পদূলিলৈকে আগবঢ়াই দিবলৈ গৈছিল অনুৰণক। বাইকত বহাৰ পাছতে তাই অনুৰণক সুধিলে,

"পিছে মিষ্টাৰ হাজৰিকা, মোৰ মাক তুমি মা বুলি মাতিলা যে?"

"অঁ, মাতিলোঁ। কিয়?"

"কি কিয়? কেলৈ মাতিবা আকৌ মা বুলি। বৰমা বুলি মাতা, খুৰী বুলি মাতা নহ'লে আণ্টী বুলি মাতা। মা কিয় মাতিলা সেইটোহে নুবুজিলোঁ।"

"আটছা, আজি বুজাইয়ে দিওঁ তেন্তে ৰ'বা।"

কথাটো কৈ বাইকৰ পৰা নামি আহিল অনুৰণ। সন্ধ্যা দুখোজ পিছুৱাই গ'ল। সি আকৌ আগবাঢ়ি আহিল,

"কি হ'ল? বুজাই দিওঁ ৰ'বা। শুনা আকৌ।"

সন্ধ্যাৰ বগাকৈ গালদুখনত সেন্দূৰে যেন ৰাঙলী মেলাহে পাতিছে। বুকুখনৰ ঢপঢপ শব্দটো কাণলৈকে বাজিছে তাইৰ। গোটেই গাত সঞ্চাৰিত হৈ গৈছে এক তীব্ৰ বিদ্যুতৰ সোঁত। অনুৰণক ৰখাই তাই কৈ উঠিল,

"নালাগে নালাগে। হ'ব।"

"কিয়? সদায় যে নাই বুজা, নাই বুজা কৈ থাকা আজি বুজাই দিওঁ আকৌ।"

সন্ধ্যাই এবাৰ ঘৰৰ ফালে চাই ক'লে,

"ঐ, নালাগে। যোৱা, কেম্পাছত বুজাবা যি বুজাবলৈ আছে।"

অনুৰণ ৰৈ গ'ল। সন্ধ্যাৰ চকুলৈ চাই ক'লে,

"কিয়? ভয় কৰিছা?"

সন্ধ্যাই একো নকৈ মাত্ৰ তলমূৰ কৰিলে। অনুৰণে আকৌ ক'লে,

"কালৈ ভয় কৰিছা? নিজলৈ নে মানুহলৈ?"

Kaushik

সন্ধ্যা এতিয়াও নীৰৱ। অনুৰণ উভতি গৈ বাইকত উঠিল। ষ্টাৰ্ট দি এবাৰ তাইলৈ চাই শান্ত অথচ গহীন মাতেৰে ক'লে,

"প্ৰায় পাঁচ বছৰ হ'ল সন্ধ্যা। এতিয়াও বুজা নাই বুলি ক'লে মই কেনেকৈ মানি ল'ম!"

কথাষাৰ কৈয়ে বাইকখন চলিবলৈ লৈছিল। চকুৰ পচাৰতে ধূলি উৰুৱাই আঁতৰি গৈছিল অনুৰণ। প্ৰস্তৰ মূৰ্তিৰ দৰে ৰৈ গৈছে সন্ধ্যা। তাই নাজানে আজি অনুৰণক কিয় ৰখালে তাই। নৰখোৱা হ'লে কিজানি সি! কি কৰিলেহেঁতেন! কৈ দিলেহেঁতেন নেকি তাইক ভাল পাওঁ বুলি! আৰু তাই! কিয় এই অনুভৱটোৰ মুখামুখি হ'বলৈ ভয় কৰিছে তাই! কিয় বাৰে বাৰে অনুৰাধাৰ শান্ত মুখখন ভাহি উঠিছে। সন্ধ্যাৰ মনে কৈছে। বাৰে বাৰে কৈছে যে জুৰিয়ে কোৱা কথাবোৰ মিছা। কিন্তু অনুৰণেওতো এদিন কৈছিল যে সিও--!!

"ৰুণ বা, অ' ৰুণজুন বা"

চোতালত কাৰোবাৰ মাত শুনি বাস্তৱলৈ উভতি আহিল সন্ধ্যা। বৰতাকৰ ছোৱালী মুনমুনে মাতি আছে। ভাৱনাবোৰ জোকাৰি পেলাই সন্ধ্যা পদূলিৰ পৰা ভিতৰলৈ সোমাল।মুনমুনে তাইক দেখিয়ে ফুচফুচাই সুধিলে,

"তোমাৰ বোলে কথা এটা শুনিছোঁ হয়নে?"

সন্ধ্যাই বুজিলে, এই পাপৰিয়ে মানে কথাটো উলিয়ালেই। সেইটোকে সুধিছে মুনমুনে। লগে লগে সন্ধ্যাই "নহয় যা" বুলি আঁতৰিবলৈ লৈছিল। মুনমুনে আকৌ আগভেঁটি ধৰিলে,

"আৰে ৰ'বা। কথাটো শুনিতো লোৱা। মই শুনিছিলোঁ তুমি বোলে কা বিৰোধী বক্তৃতা দি টিভিতো ওলাইছিলা।"

সন্ধ্যাই হাঁহি পেলালে তাইৰ কথাত। তৎক্ষণাত কি ধুনীয়াকৈ কথাটো সলাই দিলে এই। তাইৰ চুলি কেইডাল টান মাৰি ভিতৰলৈ যাবলৈ লওঁতেই হঠাৎ কিবা এটা মনত পৰাৰ দৰে ৰৈ গ'ল সন্ধ্যা। ভৰি দুখনো ঠাইতে স্তব্ধ হ'ল। চকুত ভাহি উঠিছিল সেইদিনাৰ বেলকনিৰ দৃশ্যটো। কি বুলি সুধিছিল তাই অনুৰণক!

"তোমাৰ আৰু অনুৰাধাৰ কথা এটা শুনিছোঁ হয় নে?"

Kaushik

সন্ধ্যাইতো এবাৰো তাক কোৱা নাছিল যে তাই অনুৰাধা আৰু অনুৰণ প্ৰেমৰ সম্পৰ্কত থকা বুলি শুনিছে। মাত্ৰ কথা এটা শুনিছোঁ বুলি কৈছিল। হয়, তাইৰ মনত পৰিছে। এবাৰলৈও অনুৰণৰ আগত সেই কথাটো তাই উলিয়াই নাপালেই। তাৰ মানে? তাৰ মানে তাই ভাবি থকা কথাবোৰ মিছা আছিল? এতিয়া বুজি পাইছে তাই অনুৰণৰ কথাষাৰৰ অৰ্থ। যোৱাৰ সময়ত যে সি কৈছিল,

"প্ৰায় পাঁচ বছৰ হ'ল সন্ধ্যা। এতিয়াও বুজা নাই বুলি ক'লে মই কেনেকৈ মানি ল'ম!"

এটা হাঁহি আপোনা আপুনি বাগৰি গৈছিল সন্ধ্যাৰ মুখেৰে। পদূলিত সৌৱা নতুনৰ বতৰ। পিছফালৰ ঢেঁকীৰ ছাব যেন তাইৰ বুকুত হে পৰিছে। বুকুৰ উশাহবোৰ ঘন হৈ পৰিছে। মুখত যেন তাইৰ ফাগুণ নামিছে পলাশৰ ৰঙা বাটেৰে। ভিতৰত পাপৰি নে মুনমুন কোনোবা এজনীয়ে লগাই থোৱা বিহু এটা কাণত পৰিছেহি,

Kaushik

"দুটি চকুৰ ভাষাৰেনো

তোমাকে কি ক'ব খোজো

তুমি জানো নুবুজা একো

ঐ অতদিনে কাষত পাই,

সঁচাই জানো বুজা নাই..."

(আগলৈ)

#নিৰিবিলি

Part 118

"উজাই বুৰে দিলে শিহু কি ঘঁৰিয়াল

ভটিয়াই বুৰিলে মাছে,

অসমীৰ মুখতে হাঁহি নাইকিয়া

মাথোঁ চকু পানী মচে।"

সৰু খুৰাকে গোৱা বিহুফাঁকি শুনি ভেলাঘৰৰ ভিতৰত মেল মাৰি থকা সন্ধ্যাৰো মনটো সেমেকি গৈছিল। বুজা হোৱাৰে পৰা তাই যিমান বাৰ মাঘ বিহু পাইছে কোনোবাৰেই এনেকুৱা সেমেকা বিহু পোৱা নাই। কাৰোৰে মুখত যেন একো উছাহ নাই, নাই বিহুৰ কিবা আনন্দ ফুৰ্তি। কেনেকৈনো থাকিব, ছেম নামৰ ল'ৰাটোৰ মাকৰ সেই প্ৰাণকাতৰ চিঞৰটোয়েই কোনোবাই পাহৰিব পাৰিছে নে সেই তেজৰ দাগ লগা গামোচাখনৰ ছবিখনেই! কথাবোৰ এতিয়াও চকুৰ আগত। ল'ৰা ছোৱালীবোৰৰ কঁকালত লাঠিৰ কোবৰ বিষ এতিয়াও যোৱাই নাই। মেজিৰ উমে সেই বিষ কমাব পাৰিব জানো! কঁকালৰ বিষ কমিলেও মনৰ বিষ কমিবনে! বৰপীৰা পাৰি বহোওৱা ৰজাঘৰে বুকুত যিটো মৰকামোৰ মাৰিলে সেয়া অসমীয়াই কোন সতে পাহৰিব! এইবোৰৰ মাজতে এইবাৰ যেন মাঘৰ বিহুটোও মলঙি গৈছে। মেজিত এইবাৰ সকলোতে এখন এখন প্লেকাৰ্ড। য'ত ডাঙৰকৈ "নাগৰিকত্ব সংশোধনী আইন" বুলি লিখা আছে। বিহুৰ দিনা পুৱা সেইখনো জ্বলাব মেজিৰ লগতে সকলোৱে। মুঠতে প্ৰতিবাদ অব্যাহত ৰাখিহে বিহু পালন কৰিছে অসমীয়াই। কিন্তু তথাপি সৌ সিদিনাৰ ৰাজপথৰ চিঞৰবোৰে আনন্দ ফুৰ্তি কৰিবলৈ দিয়া নাই কাকোকে।

"ৰুণজুন বা, ফোন বাজি আছে তোৰ।"

সন্ধ্যা ভেলা ঘৰৰ পৰা ওলাই আহিল। চৌকাটোৰ কাষতে থোৱা ফোনটো ধৰিলে। সিফালৰ পৰা অনুৰণৰ মাত,

"কেনে চলিছে উৰুকা?"

"ভালেই আৰু। তোমালোকৰ?"

"এইয়া ঘৰতেই। কেম্পাছ কেতিয়ালৈ যাবা?"

"কাইলৈ আবেলি যাওঁ নেকি, পৰহিৰ পৰাতো ক্লাছেই।"

"পিঠা লৈ আহিবা বিহুৰ। মই খুজিছোঁ বুলি ক'বা মাক।"

"ইচ, বৰ একেবাৰে। অৰ্ডাৰ দিছে চোৱা।"

"অৰ্ডাৰ নাই দিয়া অ'। মৰমতে কৈছোঁ।"

সন্ধ্যাই মিচিকিয়া হাঁহিৰে ক'লে,

"হ'ব ইমান মৰম নালাগে।"

Kaushik

অলপ আঁতৰত জুই পুঁৱাই থকা পাপৰি আৰু মুনমুনে চিঞৰি গাই উঠিল,

"ইমান মৰম কিয় লাগে জান ঐ ক'ব মই নোৱাৰোঁ,

ইমান চেনেহ কিয় জাগে দেহা ঐ বুজাব নোৱাৰোঁ,

মৰম লাগে তোমালৈ

চেনেহ জাগে মনত ঐ

দেহা ঐ লৈ যাম ঐ

আমাৰে ঘৰলৈ"

সিহঁতৰ বিহু কাণত পৰাত অনুৰণেও হাঁহি পেলাইছিল ফোনৰ সিপাৰে।

"ঐ, ৰাখোঁ দিয়া।"

হাঁহি হাঁহিয়ে ফোনটো থ'লে সন্ধ্যাই। ফোনটো কাটি এটা হুঁমুনিয়াহ সৰকি গ'ল সন্ধ্যাৰ বুকুৰে। এই যে একেবাৰে কাষত থাকিও কোনোবা বহু দূৰৈত থাকে, এই যে ইচ্ছা কৰিও কাৰোবাক নিজৰ কাষলৈ আনিব নোৱাৰি, এই যে বুকুৰ মাজত হেঁচুকি সামৰিব লাগে অব্যক্ত অনুভৱবোৰ ; উদাসী মনটোৱে তাতেই যেন ফেঁকুৰি উঠে। মন গৈছিল, সেই অনুৰণে তাইক থৈ যোৱাৰ দিনাই সন্ধ্যাৰ মন গৈছিল যেন তাক সকলো খুলি ক'ব। তেনেকুৱাতে আহিছিল অনুৰাধাৰ অপ্ৰত্যাশিত ফোনকলটো,

"সন্ধ্যা, তোমালোক ঘৰ পালাগৈ নে?"

"পালোঁহি অনুৰাধা। কোৱাচোন।"

"অনুৰণ আহিল নে তাতেই আছে?"

"এইমাত্ৰ গ'ল।"

লগে লগে উচুপি উঠিছিল অনুৰাধাই। বুজি পোৱা নাছিল সন্ধ্যাই। উচুপি থাকিয়ে কৈছিল তাই,

"মই কি কৰোঁ কোৱা সন্ধ্যা, অনুৰণক ভাল পাওঁ মই। সিও পাই ভাল। তাৰ পাছতো ইমান আঁতৰি থাকে। মই কি ইমান বেয়া নেকি সন্ধ্যা? কি দোষ মোৰ কোৱা।"

kaushik

সন্ধ্যাৰ সুধিবলৈ মন গৈছিল "অনুৰণে সঁচাই ভাল পাই নে তোমাক?" কিন্তু নুসুধিলে। কান্দি থকা অনুৰাধাক সেইটো কথা সুধি আৰু আঘাত দিব নোখোজে তাই। মাত্ৰ কৈছিল,

"অলপ সময় লোৱা অনুৰাধা। সকলো ঠিক হ'ব।"

ফোনটো কাটি সন্ধ্যাই ঠিক কৰিছিল, অনুৰণক একো নোসোধে তাই। থাককচোন, এইদৰেই থাকক। কাৰণ সন্ধ্যাৰ নিজৰ ভালপোৱাৰ ওপৰত অগাধ বিশ্বাস আছিল। যিমান তমসা ৰাতি আঁতৰাই হ'লেও অনুৰণ নামৰ ভালপোৱাৰ জোনাক তাইৰ মন আকাশলৈ আহিবই। সেই বিশ্বাসৰে বন্তি বুকুত জ্বলাই বাট চাব তাই। তেতিয়াৰে পৰা একো নক'লে সন্ধ্যাই। অনুৰাধালৈও তাইৰ একো আক্ষেপ নাই। সঁচাই, প্ৰকৃত ভালপোৱাত না কাৰোবালৈ প্ৰত্যাশা থাকে না আক্ষেপ। ভালপোৱাই কেৱল ভাল পাব জানে, হিয়া উজাৰি নিজকো পাহৰি।

"ৰূণ, এই হাঁহৰ মাংসকণ চা হি চোন।"

বৰমাকৰ মাতত সন্ধ্যা উঠি গ'ল চৌকাৰ কাষলৈ।

"ঐ, হাতটো ধুই লচোন। শুনিছনে নাই, এই কিবা যে ভাইৰাছ এডাল ওলাইছে চীনত।"

"এস থ ঔ। এইবোৰ চাইনিজ মাল এনেও বেছি দিন নিটিকে।"

নন্দিনীক ওলোটাই দিয়া ঝৰ্ণাৰ উত্তৰত ৰুমত থকা গোটেই কেইজনীয়ে খিলখিলাই হাঁহি উঠিল। হাঁহিতে যেন নতুনকৈ জীপাল হৈছিল যোৱা প্ৰায় এমাহে অকলশৰে নিষ্প্ৰাণ হৈ পৰি থকা সন্ধ্যাৰ ৰুমটো। সন্ধ্যা আজি অলপ আগত আহি পালেহি ইউনিভাৰ্চিটী। এইবাৰ গেটখন পাৰ হওঁতেই বুকুখনত যেন কিহবাই কোবাই হে দিছিল। আৰু মাত্ৰ চাৰে চাৰি মাহ আছে এই চহৰখনত। এশ এবুৰি কাহিনী বুকুত সামৰি ইয়াৰ পৰা যোৱাৰ সময়েই আহি পালে সিহঁতবোৰৰ। এই পাঁচ বছৰত কত কি যে পালে কিমান কি যে দেখিলে সন্ধ্যাই। কেতিয়াবা অকৃত্ৰিম মৰম, কেতিয়াবা হিংসা, কেতিয়াবা খং, কেতিয়াবা হাঁহি। সিহঁতে দেখিছিল, মৌনতাৰ পৰা কিদৰে প্ৰাণ পাই উঠিছিল এইখন ইউনিভাৰ্চিটীয়ে। এইবোৰ কৈ থাকিলে চাগে এখন উপন্যাসেই হ'বগৈ। সিহঁতবোৰৰ জীয়া কাহিনীৰে ভৰপূৰ এখন মনোৰম উপন্যাস।

Kaushik

সদায় দিয়াৰ দৰেই সন্ধ্যাৰ মাকে এইবাৰো তাইক তিলৰ পিঠা, নাৰিকলৰ লাৰু এইবোৰ দি পঠাইছে। সেইবাবেই ৰুমত সোমায়েই তাই নন্দিনীহঁতক মতাই আনিলে। লগতে প্লাৰিতা আৰু প্ৰিয়াও আহিল। গোটেই কেইজনীয়ে মিলি আড্ডা মাৰি খাই থাকোঁতেই বৰদৈচিলা জনীৰ দৰে ঝৰ্ণা ওলাইছিলহি।

"মোক এৰি কিয় খাইছ" বুলি তাই পিঠাৰ বৈয়ামত হাত ভৰাওঁতেই নন্দিনীয়ে হাতটো ধুবলৈ কৈ সেই চীনত ওলোৱা ভাইৰাছটোৰ কথা উলিয়ালে। কথাটো নোহোৱাও নহয়, পেপাৰত ছচিয়েল মেডিয়াত সকলোতে সন্ধ্যাইও দেখিছে চীনৰ উপৰিও আমেৰিকা আৰু আন আন দেশতো বিয়পি পৰিছে এই ভাইৰাছটো। মানুহো মৰিছে হেন বহুত। সংক্ৰামক বাবে ই বেছি ভয়ংকৰ হ'বলা। কি আছিল জানো নামটো!

"ক'ৰোনা ক'ৰোনা। আৰু কভিড নাইন্টিন বুলিও কয় হ'বলা। হ'লেহে বুজিবি ৰ। উশাহ ল'ব নোৱাৰি মৰিবি।"

প্লাৰিতাই ঝৰ্ণালৈ চাই ক'লে। তাইৰ সেইবোৰত কাণসাৰ নাই। "এইচব বেমাৰ আমাৰ ইয়াত নহয় ঐ" বুলি খাইয়ে আছে। কথাৰ মাজতে নন্দিনীয়ে ক'লে,

"এইবাৰতো সন্ধ্যা বাহঁতৰ লাষ্ট ন! ভাবিয়ে কিবা লাগিছে। কেনেকৈ আপোনালোকৰ ফেয়াৰ ৱেল পাতিম বাৰু।"

সেমেকা মনটো লুকুৱাই সন্ধ্যাই ক'লে,

"কেনেকৈ পাতিম বুলি ঠগিলে নহ'ব কিন্তু দেই। একদম ভাল ভাল খানা দিব লাগিব ফেয়াৰৱেলত। পাঁচ বছৰ আছোঁ ভাই হোষ্টেলত।"

লগে লগে মুখত থকা নাৰিকলৰ লাৰুটো চোবাই ঝৰ্ণাই ক'লে,

"অঁতো আকৌ। তাতে আমাৰ সোৱণশিৰীৰ শ্ৰেষ্ঠ বিহুৱতী আৰু শ্ৰেষ্ঠ অভিনেত্ৰী। একদম গ্ৰেণ্ড ফেয়াৰৱেল এটা অৰগেনাইজ কৰিম এইবাৰ সন্ধ্যা বালৈ।"

"ৰ ৰ। এইবাৰোতো আছেই। সন্ধ্যা বা, এইবাৰ কিন্তু বিহু নাচিবা দেই তুমি। ফৰ দা লাষ্ট টাইম সোৱণশিৰীক আকৌ এবাৰ জিকাই থৈ যাব আৰু।"

নন্দিনীৰ কথাত হে সন্ধ্যাৰ মনত পৰিল, ভাৰ্চিটী উইক পাবহিয়েই। লটাৰী হ'বই চাগে কেইদিন মানৰ পাছতে। যোৱা বছৰ "দ্ৰৌপদী"ৰ অভিনয় কৰি তাই বেষ্ট এক্ট্ৰেছ পাইছিলহে। এইবাৰ আকৌ পালেহিয়েই। সঁচাই, সময় যে ইমান খৰকৈ পাৰ হয়।

Kaushik

এইবাৰতো সন্ধ্যাৰ শেষৰটো ভাৰ্চিটী উইক। ইয়াৰ পাছত আৰু তাই সোৱণশিৰীৰ হৈ বিহু নাচিবলৈ নাপায়। এজাক চিঞৰৰ মাজত কমিউনিটী হলৰ ষ্টেজত বৰদৈচিলাজনী হৈ কঁকাল ঘূৰাবলৈ নাপায়। সকলোতে যেন শেষ হোৱাৰ আখৰা।

"কোৱা না সন্ধ্যা বা, নাচিবা নে?"

এটা হুঁমুনিয়াহেৰে নন্দিনীলৈ চাই মূৰ দুপিয়ালে সন্ধ্যাই।

"মোক আকৌ কিয় একাষৰীয়া কৰিলা ঔ আই।"

জুৰিৰ কথাটোত হাঁহি উঠিছিল গোটেই কেইজনীয়ে। সৰস্বতী পূজাৰ আয়োজন তেজপুৰ ইউনিভাৰ্চিটীত। পোন প্ৰথম বাৰৰ বাবে এইয়া। সন্ধ্যাহঁততো আচৰিতেই হৈছিল। সন্দেহো হৈছিল, সঁচাই নে? পিছে হয়। দিছে এইবাৰ। আগতেই ইউনিভাৰ্চিটীত পূজা নপতা নহয়, পাতে। ষ্টুডেন্ট কাউন্সিলে কমিউনিটী হলতে অনুষ্টুপীয়াকৈ পাতি থয়। পিছে এইবাৰ হিউমেনিটিজত এডুকেশ্যন ডিপাৰ্টমেণ্টে মিলি পাতিছে ডাঙৰকৈ। সিদিনা কাজলে সন্ধ্যাক লগ পাই মাতি থৈ গৈছে পূজালৈ। সেই হেতুকে সন্ধ্যাহঁত পূজালৈ ওলাই আহিছে। লগতে অনুৰাধা, পৰী, প্লাৱিতা, প্ৰিয়া, নিমিষা, সীমাও আছে। পিছে এই জুৰিয়ে পলম কৰাত তাইক এৰিয়ে কিছু দূৰ আগুৱাই আহিল সিহঁত। সেইবাবে তাই থৰ খোজেৰে আহি পিছফালৰ পৰা সিহঁতক জুবিনৰ বিখ্যাত ডাইলগটোৰে মাতিছে।

কথা পাতি পাতি সিহঁত গোটেই কেইজনী আহি এডুকেশ্যন ডিপাৰ্টমেন্টৰ ফালে থকা খালী ঠাইখিনি পালেহি। তাতেই আয়োজন কৰিছে পূজা। ৰাজদ্বীপ, বিশ্বজিত আৰু অনুৰণক তাতে ৰৈ থকা দেখি জুৰিয়ে ধমকি মাৰিলে,

"ৱাহ, আমাতকৈ আগতেই ৰৈ আছহি তহঁত কেইটা। ক্লাছতো আহিবিচোন এনেকৈ সোনকালে।"

"তহঁতৰ ওলাওঁতেই ইমান ঘন্টা লাগে আৰু।"

ৰাজদ্বীপৰ কথাৰ মাজতে সীমাই ক'লে,

"জানো দে, এডুকেশ্যনৰ ছোৱালী কেইজনী চাবলৈহে আহি ৰৈ আছহি তহঁত।"

কথা পাতি থাকোঁতেই কাজল আহি ওলালহি,

"এই সন্ধ্যা, আহা আহা। মই ভাবিহে আছিলোঁ, ইহঁত চোন অহাই নাই।"

Kaushik

কাজলে ভিতৰলৈ মাতি নিলে সিহঁতক। প্ৰতিমাৰ আগত চাকি জ্বলাই আঁঠু লৈ চকীত বহিছিলহি।

"সন্ধ্যা, এইয়া মোৰ ক্লাছমেট। চিনাকি হোৱা। এইজনী শুভ্ৰা আৰু এইয়া কৰ্ণিকা।"

ছোৱালী দুজনীক আনি চিনাকি কৰাই দিলেহি কাজলে। সন্ধ্যাই এমোকোৰা হাঁহিৰে মাত লগালে সিহঁতক।

"তুমিয়ে সন্ধ্যা ন, শুনি আছোঁ তোমাৰ কথা। বিহু নাচা, নাটক কৰা।"

শুভ্ৰা বোলা ছোৱালীজনীয়ে ক'লে। কৰ্ণিকাই সিহঁতক প্ৰসাদৰ পাত এখন এখন দিলেহি। সন্ধ্যাই বহি থাকোঁতেই এবাৰ ৰাস্তাৰ ফালে চাওঁতে হঠাৎ দেখিলে অনুৰণে বাইক এখনত আওজি তাইৰ ফালে চাই আছে। চকুত চকু পৰোঁতে লগে লগে মুখ ঘূৰাইছে। হাঁহি উঠিল তাইৰ। প্ৰসাদৰ পাতখন লৈ উঠি গ'ল তাৰ ওচৰলৈ,

"কি হ'ল? এনেকৈ মনে মনে চাই আছা যে?"

"অলপ বেছিয়ে ধুনীয়া লাগিছে আজি কাৰোবাক।" অনুৰণৰ মুখত দুষ্টালিৰ হাঁহি। সন্ধ্যাই ক'লে,

"হয় নেকি? থেংক ইউ।"

"কি আকৌ থেংক ইউ? মই জুৰিৰ কথা কৈছোঁ।"

সন্ধ্যাই হাঁহি উঠিল খিলখিলাই,

"আটছা, জুৰিক ধুনীয়া লাগিছে কাৰণে আপুনি মোলৈ চাই আছিল মানে। ফটুৱা, লোৱা প্ৰসাদ খোৱা। নিজেতো লৈ খোৱাই নাই চাগে।"

সন্ধ্যাই আগবঢ়াই দিয়া পাতখনৰ পৰা প্ৰসাদ দুটা মান মুখত ভৰাই অনুৰণে ক'লে,

"অলপ ওলাই যাওঁ ব'লা না টাউনৰ ফালে। কি নো সোমাই থাকা ইয়াতে। ব'ৰ লগা নাই হা?"

"ইচ, নিজৰ কেম্পাছৰ পূজাখন এৰি বেলেগলৈ কিয় যাম আকৌ। অতদিনৰ মূৰত এইবাৰ পাতিছে পূজা।"

সন্ধ্যা উভতি যাবলৈ লওঁতেই অনুৰণে আকৌ ক'লে,

Kaushik

"আৰে ঘূৰি আহি পাই যামতো। ব'লা না।"

"ইয়াত চব আছে। চবকে এৰি থৈ নাযাওঁ মই।"

কথাটো কৈ সন্ধ্যা গৈ জুৰিহঁতৰ ওচৰ পালেগৈ। এবাৰ তাৰ পৰা অনুৰণলৈ চাইছিল। মুখখন ফুলি আছে তাৰ। এইটো অৱস্থাত তাক আৰু বেছি ভাল লাগে সন্ধ্যাৰ।

"ঐ, আমি এবাৰ টাউনৰ পৰা আহোঁগৈ বৈ। দৰং কলেজত সোমাই আহিম। ইয়াত দেৰি হ'ব এনেও। পাই যামহি।"

কথাৰ মাজতে জুৰিয়ে প্ৰস্তাৱটো দিয়াত সন্ধ্যাৰ মনটো নাচি উঠিছিল।

"বৈ বৈ যাওঁ। ল'ৰা কেইটাকো কওঁ গৈ ৰহ।"

সীমাইও ক'লে। লগে লগে সিহঁত কেইজনী উঠি গ'ল। কথাটো শুনি ৰাজদ্বীপহঁতো যাবলৈ ওলাল। এনেতে সীমাই অনুৰণক ক'লে,

"অনুৰণে অনুৰাধাক বাইকতে লৈ যা নহ'লে।"

"নালাগে। একেলগে যাওঁ চব।" সি একে আষাৰে কৈছিল। জুৰিয়ে লগে লগে ধমকি মাৰি আহিল,

"কি আকৌ নালাগে। বেচেৰীয়ে চাদৰ মেখেলা পিন্ধি খোজেই কাঢ়িব পৰা নাই ভালকৈ। লৈ যা আকৌ।"

অনুৰণে এবাৰ সন্ধ্যালৈ চালে। সকলোৰে অলক্ষিতে সন্ধ্যাই তাৰ ওচৰ চাপিল,

"লৈ যোৱা অনুৰাধাক।"

"তুমি এনেকুৱা কিয় কৰা সদায়? তোমাক লগ ধৰিছিলোঁ ন মই?"

"মোৰ চাদৰ মেখেলাত অসুবিধা নহয়। মই পাৰিম। তুমি তাইক লৈ যোৱা।"

একো মাত নিদি গৈ আছিল অনুৰণ। সন্ধ্যাই আকৌ ক'লে,

"ৰণ, মই কৈছোঁ বাবেই লৈ যোৱা না তাইক।"

অনুৰণে একো নামাতি আগবাঢ়ি গৈ মাত্ৰ ক'লে,

"মই বাইকৰ চাবিটো আনোগৈ। অনুৰাধা মেইন গেটতে ৰ'বা।"

Kaushik

তাৰ পিছত কাৰোলৈকো নোচোৱাকৈ অনুৰণ আগুৱাই গুছি গৈছিল। অলপ পাছতে অনুৰণৰ লগত বাইকত উঠি গৈছিল অনুৰাধা। টেম্পুলৈ গৈ আছিল সন্ধ্যাহঁত। এনেতে জুৰিয়ে ক'লে,

"অহ হ'ল। বহুত ডাঙৰ কথা এটা হ'ল নহয়।"

"কি হ'ল জুৰি?" সন্ধ্যাই সুধিলে।

"মোক কাজলে অলপ কামত লাগি দিবলৈ কৈছিল। জানইতো মানুহ কিমান বেছি হয়। ধেৎ তেৰি। কি যে কৰোঁ। অ' সন্ধ্যা, তই থাকি দে না প্লিজ।"

জুৰিৰ কথাত সন্ধ্যাৰ বুজিবলৈ বাকী নাছিল যে এই গোটেই পৰিকল্পনাতো আচলতে অনুৰণ আৰু অনুৰাধাক মিলাবলৈ কৰা হ'ল যাতে সিহঁতে অলপ সময় একেলগে কটাব পাৰে। কিন্তু সন্ধ্যাই একো নামাতিলে। মাত্ৰ "হ'ব" বুলি কৈ ৰৈ গ'ল। হওঁক চোন। সিহঁতৰ মতেই হওঁক কথাবোৰ। সন্ধ্যাৰ বিশ্বাস আছিল অনুৰণৰ প্ৰতি থকা তাইৰ ভালপোৱাত। আৰু সেই ভালপোৱাৰ ভেঁটি ইমান থুনুকা নহয়। দুখ লগা নাই সন্ধ্যাৰ। বৰঞ্চ হাঁহিহে উঠিছিল। কাৰণ অনুৰাধাই যিটো প্ৰতিযোগিতা বুলি ভাবি এইবোৰ কৰি আছে, সন্ধ্যাই তাত অংশ লোৱাৰো প্ৰয়োজনবোধ কৰা নাই। জুৰিহঁতক টেম্পুতে এৰি সন্ধ্যা গুছি আহিছিল পূজা মণ্ডপলৈ।

Kaushik

সৰস্বতী পূজাৰ পাছতে ক্লাছবোৰ আৰম্ভ হৈছিল যুদ্ধ গতিৰে। সন্ধ্যাহঁতো ব্যস্ত যিহেতু এইটোৱেই শেষ ছেমিষ্টাৰ। সিহঁতৰ এইবাৰ ডিজাৰ্টেচন নহয় হেনো। তাৰ সলনি টাৰ্ম পেপাৰ হ'ব। অলপ সকাহ। তথাপি কামবোৰ চলি আছে ক্লাছৰ লগতে। তাৰ মাজতেই সেইদিনা ঝৰ্ণাই চিঞৰি চিঞৰি সন্ধ্যাৰ ৰুম পালেহি,

"সন্ধ্যা বা, অ' সন্ধ্যা বা"

সন্ধ্যা ক্লাছৰ পৰা আহি ৰুম সোমাইছিলহে। হুৰমুৰকৈ সোমাই অহা ঝৰ্ণাক দবিয়াই উঠিল তাই,

"কি হৈছে অ'? এনেকৈ গোটেই হোষ্টেল কঁপাই চিঞৰিছ যে?"

"আৰে বা, ভাৰ্চিটী উইকৰ লটাৰী হৈ গ'ল গম নোপোৱা নেকি? আমি চৰাইদেউৰ লগত পৰিছোঁ এইবাৰ। লগতে পবিতৰাও।"

ঝৰ্ণাই একে উশাহেৰে কথা কোৱাৰ ধৰণটোৱে সন্ধ্যাক যেন পাঁচ বছৰৰ আগৰ তাই জনীলৈ লৈ গ'ল। বিদিশা বাৰ লগত লটাৰীৰ পৰা আহি তাইও ৰীণা বাক এইদৰেই দৌৰি দৌৰি খবৰটো দিছিলগৈ। কি যে মধুৰ আছিল সেই সময়বোৰ। কিন্তু এতিয়া যে কেৱল স্মৃতিৰ কোলাত। সন্ধ্যা মনে মনে থকা দেখি ঝৰ্ণাই আকৌ ক'লে,

"কি হ'ল বা? তুমি একো কোৱা নাই যে? এইবাৰ বিহু নে ড্ৰামা? ফাইনেল ইয়েৰ বুলি আঁতৰি থাকিলে নহ'ব কিন্তু দেই।"

হাঁহি মাৰি সন্ধ্যাই ক'লে,

"বিহু। ফাইনেল।"

"য়াহুউউউ। পেপচি কোলা ললিপপ, সোৱণশিৰী অন দা টপ।"

চিঞৰি চিঞৰি ঝৰ্ণা ওলাই গ'ল। মুখত হাঁহি এটা ৰৈ গৈছিল সন্ধ্যাৰ। ঝৰ্ণাৰ মাজত যেন নিজকে দেখে তাই। এনেকুৱাই আছিল তাইও। ভাৰ্চিটী উইকৰ কেইদিন তৎধৰণি হেৰাইছিল। কোন ফালে কি মিলাব ঠিক নাই। দৌৰা দৌৰি সদায়। ক্লাছ কৰি আহিয়েই আজৰি নাই। ভাত কেইটা নাকে কাণে গুজিয়ে কাম আৰু কাম। টাউনত গৈ হোষ্টেলৰ কামৰ বস্তু অনা, তাৰ পাছত ৰাতি দুপৰলৈকে প্ৰেকটিছ। প্ৰেকটিছৰ কথা মনত পৰোঁতেই হুঁমুনিয়াহ এটা সৰিল সন্ধ্যাৰ। সেই দিনবোৰত অভিও যে আছিল।

"ঐ, পাগলী খোৱা বোৱা ভালদৰে কৰি আছ নে? নে অকল এইবোৰতে দৌৰি আছ?"

সি লগ পালেই সুধিছিল। এতিয়াতো সি কিমান দূৰৈত। সঁচাই ; সদায় লগত থকাৰ প্ৰতিশ্ৰুতি মানুহে দিয়ে, কিন্তু পালন কৰে স্মৃতিয়ে।

"সন্ধ্যা, আমি এতিয়া মিতিৰেই আৰু দেই।"

ডিপাৰ্টমেন্টত সোমাওঁতেই চন্দ্ৰালী বায়ে সন্ধ্যাক ক'লে। প্ৰথমে বুজি নাপালেও পিছত বুজিলে সন্ধ্যাই, আচলতে এইবাৰ পবিতৰা আৰু সোৱণশিৰী একেটা গ্ৰুপতে বাবে কৈছে। পি এইচ ডিত ছিট পোৱাৰ পাছত চন্দ্ৰালীৰ হোষ্টেল এতিয়া পবিতৰা। সন্ধ্যাই পাহৰি আছিল। তাৰ মানে চন্দ্ৰালী আৰু হিমাদ্ৰীও এইবাৰ একে গ্ৰুপত। ভাৰ্চিটী উইকৰ

Kaushik

প্ৰেকটিছত ভাল জমিব তেন্তে এইবাৰ। শেষৰ ভাৰ্চিটী উইকটো নিজৰ পচন্দৰ মানুহখিনিৰ লগত কটাবলৈ সঁচাই ভাল লাগিব।

চন্দ্ৰালীৰ লগত কথা পাতি ডিপাৰ্টমেন্টৰ ভিতৰলৈ যাওঁতেই আকৌ চিনাকি মাতটো শুনি ৰৈ গ'ল সিহঁত,

"সন্ধ্যা বা"

ঘূৰি চাই দেখে চিৰঞ্জীৱ আহি আছিল সিহঁতৰ ফালে। চন্দ্ৰালীয়ে হাঁহি মাৰি সুধিলে,

"এইটো আমাৰ সন্ধ্যালৈ লাভ লেটাৰ লিখা ৰোমিঅ' জন নহয় জানো?"

চিৰঞ্জীৱে লাজত মিচিকিয়ালে। হাঁহি উঠিছিল সন্ধ্যাৰো,

"হেই চন্দ্ৰা বা। কিয়নো জোকাইছা অ' ল'ৰাটোক। কোৱাচোন চিৰঞ্জীৱ। কিবা কথা আছিল?"

"এইবাৰ তোমালোকৰ মানে আপোনালোকৰ পেয়াৰ আমাৰ লগতে পৰিছে।"

"অঁ অঁ। মই আৰু সন্ধ্যাই অলপ আগতে সেইটোৰেই পাতি আছিলোঁ। তুমি চৰাইদেউৰ ন?"

চন্দ্ৰালীৰ প্ৰশ্নত চিৰঞ্জীৱে মূৰ দুপিয়ালে। সন্ধ্যালৈ চাই লাজ লাজকৈ ক'লে সি,

"বা, আপুনি এইবাৰ বিহু নাচিব নে? মানে মইও বিহু গ্ৰুপত আছোঁ। ঢোল বজাওঁ।"

সন্ধ্যাই আগুৱাই গৈ চিৰঞ্জীৱৰ কেঁকোৰা চুলি কেইডাল জোকাৰি দি ক'লে,

"তেন্তে এইবাৰ ভাল বিহু কেইটা মান দিবা।"

"তাৰমানে আপুনি নাচিব?"

সন্ধ্যাই মূৰ দুপিয়ালে। চিৰঞ্জীৱৰ মুখখন যেন আপোনা আপুনি পোহৰ হৈ উঠিছিল। চকু দুটাও উজলি উঠিছে। তাক তাতে এৰি সন্ধ্যা আৰু চন্দ্ৰালী ভিতৰলৈ সোমাই গ'ল। চিৰঞ্জীৱ পিছুৱাই আহি বেৰখনতে ভেঁজা দি অপলক দৃষ্টিৰে চাই ৰৈছিল হাঁহি হাঁহি কথা পাতি গৈ থকা সন্ধ্যালৈ। কিছুমান মানুহৰ লগত দুষাৰ কথা পাতিলেই যেন গোটেই দিনটো মধুৰ হৈ পৰে। সন্ধ্যাও ঠিক তেনেকুৱাই।

Kaushik

লাহে লাহে আৰম্ভ হৈছে ভাৰ্চিটী উইকৰ আখৰা। প্ৰতি বছৰে শুনি আমনি লগা "এক দৌ এক" শব্দটোও যেন এইবাৰ ভাল লাগিছে সন্ধ্যাৰ। এইবাৰেই যে শেষ। শেষৰ সময়তেই চাগে সকলো বোৰ অধিক আপোন হৈ ধৰা দিয়ে। চৰাইদেউত বিহুৰ প্ৰেকটিছ্‌ৰ বাবে গৈ আছে সন্ধ্যা। ইউনিভাৰ্চিটীৰ আটাইতকৈ সৰু হোষ্টেলটোত সন্ধ্যা প্ৰথম বাৰৰ বাবে সোমাইছিল। সৰু যদিও চৰাইদেউ হোষ্টেলখনত যেন এক বিশেষ ৰাগি আছে। তাৰ প্ৰথমটো কাৰণ হোষ্টেলটোত সোমোৱাৰ ৰাস্তাটোতেই থকা শেৱালিজোপা। সন্ধ্যাই বহুদিন এই জোপাৰ পৰাই তলসৰা শেৱালি বুটলি নিছে। গোটেই ৰাস্তাটোৰ কাষে কাষে গোলাপ, কাঞ্চন, নাহৰ আৰু তগৰে ভৰি আছে। আৰু হোষ্টেলটো গাতে লাগি আছে এজোপা কৃষ্ণচূড়া। ৰাতিপুৱা চৰাইদেউৰ বাৰাণ্ডাখন কৃষ্ণচূড়াৰ পাহিৰে ৰঙা হৈ থাকে। এই ফুলবোৰেই খুব মৰমলগা কৰি তুলিছে চৰাইদেউৰ পৰিৱেশটো। সন্ধ্যা প্ৰথম দিনা আহোঁতেই চিৰঞ্জীৱে তাইৰ হাতত তুলি দিছিল কৃষ্ণচূড়া এপাহ,

"আপুনি কৃষ্ণচূড়া ভাল পাই বাবে ৰাখি থৈছিলোঁ।"

সৰু ল'ৰাটোৰ মৰমখিনি অগ্ৰাহ্য নকৰি হাত মেলি লৈছিল সন্ধ্যাই। সযতনে ৰাখি থৈছিল ফুলপাহ।

আৰম্ভ হৈছিল বিহুৰ প্ৰেকটিছ্। নতুন ছোৱালীবোৰক সন্ধ্যাই নিজে শিকাই লৈছিল। ৰাতি দেৰিলৈকে ঢোলৰ গুমগুমনিয়ে জগাই ৰাখিছিল চৌহদটোক। প্ৰতিদিনাই প্ৰেকটিছ্‌ৰ পৰা উভতি আহোঁতে মনটো গধূৰ হৈ পৰে সন্ধ্যাৰ। এইবাৰেই শেষ, এই ভাৱটোৱে মনটোক যেন থেকেচি পেলায়। চিৰঞ্জীৱ তাইৰ ওচৰে ওচৰেই থাকে। তাই মন মাৰি থকা দেখিলেই উৎপাত কৰি ধেমালি কৰি তাইৰ হাঁহি উঠাইহে এৰে। ক'ৰবাত অভিমন্যুৰ ছঁয়া ময়া ছাঁ এটা দেখিবলৈ পাই সন্ধ্যাই চিৰঞ্জীৱৰ মাজতো। প্ৰেকটিছ্‌ৰ মাজত কেতিয়াবা সি আনৰ লগত কথা পাতি থাকিলে তাই আঁৰ চকুৰে চাই, ঠিক এনেকুৱাই আছিল অভি। যিটো কামতে লাগে, কৰি নোহোৱালৈকে নেৰে। এতিয়াতো এইবোৰ সাধুকথাৰ দৰেই হ'ল। হুঁমুনিয়াহ সৰাই সন্ধ্যাই আকৌ প্ৰেকটিছ্‌ত ব্যস্ত হয়।

"তুমি পাগল হোৱা নাইতো? কি বকি আছা মানে?"

কেন্টিনৰ কাষৰ বেলকণিত কফি কাপ হাতত লৈ সন্ধ্যাক দবিয়াই উঠিল অনুৰণে। তাই সৰু সৰু মাতেৰে কৈছে,

Kaushik

"এবাৰ শুনাচোন প্লিজ।"

"নুশুনোঁ। একো নুশুনোঁ মই। এইবোৰ ফাল্টু কথা মোৰ আগত নক'বা।"

খং উঠিছে। সঁচাই খং উঠিছে অনুৰণৰ। উঠিবৰ কথাই। সন্ধ্যাই এটা অদ্ভূত প্ৰস্তাৱ লৈ আহিছে তাৰ ওচৰলৈ। সি মানি লয় কেনেকৈ। তাৰ পক্ষে অসম্ভৱ। আন কোনোবা হোৱা হ'লে চাগে সি বেছি বেয়াকৈ কৈ দিলেহেঁতেন। সন্ধ্যা বুলিহে এতিয়ালৈকে সহ্য কৰি আছে। প্ৰথমে সন্ধ্যাই অফ ক্লাছত লগ কৰিম বুলি কওঁতে আগ্ৰহেৰে আহিছিল সি লগ কৰিবলৈ। কেন্টিনৰ পৰা কফি দুকাপ আনি সিহঁত বেলকণি পাইছিলহি। তাতেই সন্ধ্যাই তাক অদ্ভূত প্ৰস্তাৱটো দিছিল,

"কাইলৈ দৰা কইনা প্ৰতিযোগিতাত তুমি অনুৰাধাৰ দৰা হ'ব লাগে।"

প্ৰথমে অনুৰণে ভাবিছিল সন্ধ্যাই ধেমালি কৰিছে। হাঁহি উঠিছিল সি জোৰেৰে। কিন্তু নহয়। সন্ধ্যাই ধেমালি কৰা নাই। কথাটো বুজি পাইয়ে সি গৰজি উঠিছিল। কি হৈছে এই সন্ধ্যাৰ। কিয় জোৰা দিব খোজে তাই তাক অনুৰাধাৰ লগত। বুজি নাপাই অনুৰণে। সন্ধ্যাৰ ওচৰৰ পৰা আঁতৰি গৈ বেলকণিটোৰ চুকত ৰৈ থকা অনুৰণলৈ কৰুণ দৃষ্টিৰে চাইছিল সন্ধ্যাই। তাই বুজিছে তাৰ খং উঠাৰ কাৰণ। কিন্তু সন্ধ্যাও যে নিৰূপায়। কি কৰিবনো তাই। অথনি ক্লাছত সোমাওঁতেই জুৰিয়ে সিহঁতৰ বেঞ্চৰ ওচৰলৈ মাতি নিছিল তাইক। অনুৰাধাক বেৰি লৈ বহি আছিল প্ৰিয়া, নিমিষা আৰু সীমা। অনুৰাধাৰ ৰঙা চকুহাল দেখি সন্ধ্যাই সুধিছিল,

"কি হৈছে অনুৰাধা?"

অনুৰাধাৰ হৈ প্ৰিয়াহঁতেই কথাটো বুজাই দিছিল। কাইলৈ ভাৰ্চিটী উইকৰ দৰা কইনা প্ৰতিযোগিতা। অনুৰাধাৰ ইচ্ছা তাই অনুৰণৰ কইনা হ'ব। কিন্তু সি মান্তি নহয়। অনুৰাধাই সন্ধ্যাৰ হাতত ধৰি উচুপি উঠিছিল,

"প্লিজ সন্ধ্যা, প্লিজ তুমি অনুৰণক বুজোৱা না। তোমাৰ বাহিৰে আন কোনেও বুজাব নোৱাৰে। তোমাৰ কথা সি শুনিব।"

নাছিল, সেই সময়ত একো উপায় নাছিল সন্ধ্যাৰ। তাই অনুৰণক মান্তি কৰোৱাৰ দায়িত্ব লৈয়ে তাৰ ওচৰলৈ আহিছিল। কথাটো কোৱাৰ সময়ত তাইৰো বুকুখন বিষাইছে। অভিনয়ত হ'লেও অনুৰণক আনৰ দৰা ৰূপত চাবলৈ নিজৰ কিমান কষ্ট হ'ব সন্ধ্যাই জানে তথাপি তাই আগবাঢ়ি আহিছে। কিন্তু অনুৰণ কোনো পধ্যেই মান্তি

Kaushik

নহয়। এখোজ দুখোজকৈ সন্ধ্যা অনুৰণৰ কাষ পালেগৈ। তাৰ বাহুত তাইৰ হাতখন থ'লে,

"ৰণ, অনুৰাধা তোমাৰ লগত কইনা হ'ব বিচাৰে।"

"অনুৰাধাই বিচৰাতো ঠিকেই বুজিলা। কিন্তু মোৰ কথা হ'লে নুবুজা।"

"তোমাৰ কথা? তুমি কি বিচৰা ৰণ?"

"বাদ দিয়া। কি লাভ তোমাক কৈ। তুমিতো গোটেই জীৱন আনৰ কথা চিন্তা কৰোঁতেই যাব।"

কথাটো কৈ অনুৰণ আঁতৰি যাবলৈ ওলাইছিল। সন্ধ্যাই তাৰ হাতত ধৰি ৰখালে,

"ৰণ, মই অনুৰাধাহঁতক কথা দি আহিছোঁ যে অনুৰণক মই মান্তি কৰাম। একমাত্ৰ মোৰ কথাটো ৰাখিবলৈকে তুমি মানি ল'ব নোৱাৰা নে?"

অনুৰণে এবাৰ ঘূৰি সন্ধ্যাৰ চকুলৈ চালে। কিছু সময় পাৰ হৈছিল তেনেকৈয়ে। নীৰৱতাৰ ভাষাৰে অনুৰণে কি বুজিলে সন্ধ্যাই নাজানে। অলপ পাছত সি ক'লে,

"অনুৰাধাক ক'বা, মই দৰা হ'ম।"

সেমেকা হাঁহিৰে সন্ধ্যা উভতি গৈছিল ৰুমলৈ। অলপ পাছতে ৰুমটোৰ পৰা ভাহি আহিছিল জুৰি আৰু অনুৰাধাহঁতৰ হাঁহিৰ কিৰিলি। তাৰ মাজত হেৰাই গৈছিল সন্ধ্যা আৰু অনুৰণৰ বুকুৰ হুঁমুনিয়াহ।

"ড্ৰেচিং আইনা আগত লৈ ড্ৰেচ কৰা অকলে,

আজি কিয় বৈ আছা আনে সজাই দিবলে?"

অনুৰাধাক সজাবলৈ লৈ জুৰিয়ে বিয়া নাম জুৰিছে। পাটৰ চাদৰখন জাপি প্ৰিয়াইও কৈছে,

"ইহঁতৰ বিয়াখন পাতিয়েই দিব পাৰি চোন ঐ। ইমান মিলিছে দুইটা।"

সীমাইও শলাগিছে,

"এৰাতো। দুইটাকে যে ষ্টেজত চাই কি ধুনীয়া লাগিব।"

kaushik

এনেতে দুৱাৰত টক টক শব্দ। সন্ধ্যা সোমাই আহিল। জুৰিহঁত আচৰিত হৈছিল তাই অহা দেখি। "এই আকৌ কিয় আহিল" ধৰণৰ চাঁৱনি এটা আহিছিল সিহঁতৰ মুখলৈ। কথাটো বুজি পাই অনুৰাধাই ক'লে,

"সন্ধ্যাক মইয়ে মাতিছোঁ। তহঁত কেইজনী গৈ থাক। মোক আজি সন্ধ্যাই সজাই দিব। দিবা ন সন্ধ্যা?"

সন্ধ্যাই মূৰ দুপিয়ালে। জুৰি আৰু প্ৰিয়া ইজনীয়ে সিজনীলৈ চাই মুখ টিপি হাঁহিলে।

"তেন্তে আমি গৈ থাকোঁ দেই" বুলি সিহঁত আটাই কেইজনী ওলাই গ'ল। অনুৰাধাই গৈ দুৱাৰখন জপাই হুকটো মাৰি দিলে। সন্ধ্যাই বিচনালৈ চালে। পাটৰ কাপোৰ, গহণা সেন্দূঁৰ আদিৰে ভৰি আছে।

"আহা সন্ধ্যা। অনুৰণৰ কইনা ওলাওঁতে তুমি নাথাকিলে কেনেকৈ হ'ব!"

অনুৰাধাৰ কথাত সন্ধ্যাই পাটৰ চাদৰখন আলফুলে তুলি লৈ অনুৰাধাৰ গাত দিছিল। অনুৰাধাৰ মুখত ফুটি উঠিছিল সেই বিশেষ হাঁহিটো।

"খন্তেক পাছতেই আমি দৰা কইনা প্ৰতিযোগিতা আৰম্ভ কৰিম"

ঘোষণা হৈ গ'ল। প্ৰিয়াহঁত দৰ্শকৰ প্ৰথম শাৰীতেই বহিলহি। গ্ৰীণ ৰুমত অনুৰণৰ লগত ময়ূঁৰ আৰু জুৰি ৰৈ আছে। পাটৰ ধুতী মূৰত নাৰ্জীফুলৰ মালাৰে সাইলাখ দৰা যেন লাগিছে অনুৰণক। অনুৰাধা আহি পোৱাই নাই। অলপ পাছতে বিচাৰকো আহি পালেহি। এইবাৰ বিচাৰক বাহিৰৰ পৰা মাতিছে। ইউনিভাৰ্চিটীৰ ভিতৰৰ নহয়।

"এই অনুৰাধাজনী অহাই নাই যে। ৰহ ফোন কৰোঁ।" বুলি জুৰিয়ে ফোন লগালে।

"ঐ, মই ষ্টেজৰ সোঁফালে বাহিৰৰ বাৰাণ্ডাত আছোঁ।"

অনুৰাধাই ক'লে। জুৰিহঁত অনুৰণক লৈ সেইখিনিলৈকে গ'ল। বাৰাণ্ডাত অকলে ৰৈ আছে অনুৰাধা। মূৰত দীঘল উৰণি। জুৰিয়ে দেখিয়ে হাঁহি মাৰি ক'লে,

"আই ঐ দেহি, উৰণি গুছাবলৈ লাজ চোৱা। লাজৰে উৰণি খহি পৰে আজি। বৰ ধুনীয়া লাগিছে। সন্ধ্যাই ধুনীয়াকৈ সজাইছে।"

Kaushik

"এতিয়া আমি মঞ্চলৈ আমন্ত্ৰণ জনাইছোঁ দৰা কইনা প্ৰতিযোগিতাৰ প্ৰথম প্ৰতিযোগী দল অনুৰণ হাজৰিকা আৰু অনুৰাধা চৌধুৰী।"

ঘোষণা হৈয়ে গ'ল। জুৰিয়ে লগে লগে ক'লে,

"ঐ, অল দা বেষ্ট দেই। ভালকৈ। আৰু অনুৰাধা, উৰণি একদম ষ্টেজত গৈ হে আঁতৰাবি। তাতো মাৰ্কচ থাকে।"

কথাটো কৈ জুৰি আৰু ময়ূঁৰ দৰ্শকৰ শাৰীত বহিলগৈ। অনুৰণ আৰু অনুৰাধা ষ্টেজত উঠিছিল। লগে লগে গোটেই হল কঁপাই চিঞৰ। সিহঁত উঠাৰ লগে লগেই এজন বিচাৰকে ক'লে,

"কইনাৰ লাজ বহুত যেন পাইছোঁ। উৰণিখন গুছোৱা আকৌ।"

সিজন বিচাৰকেও ক'লে,

"দৰাই নিজেই উৰণিখন গুছাই দিলে বেছি ভাল লাগিব।"

লগে লগেই আকৌ গোটেই দৰ্শকৰ চিঞৰ। জুৰিহঁতেও টেটু ফালি চিঞৰিছে। অত্যন্ত বিৰক্তিৰে অনুৰাধাৰ উৰণিখন উঠাই দিলে অনুৰণে। তেনেকুৱাতে দৰ্শকৰ শাৰীত থকা জুৰি, প্ৰিয়া, নিমিষা, ময়ূঁৰ আনকি দৰা হৈ থকা অনুৰণো চঁক খাই উঠিল। কাৰণ পাটৰ কাপোৰেৰে শিৰত সেন্দুঁৰ লৈ উৰণিৰ তলত অনুৰাধাৰ সলনি কইনাৰ সাজত থিয় হৈ আছিল সন্ধ্যা।

(আগলৈ)

#নিৰিবিলি

Part 119

"ঐ, অনুৰাধাক দেখোন সন্ধ্যা সন্ধ্যা লাগিছে।"

জুৰিৰ কাণত ফুচফুচাই সীমাই কোৱা কথাটোত জুৰিয়ে মাতটো সৰু কৰি ধমকি মাৰিলে,

"গৰু, সন্ধ্যা সন্ধ্যা লগা নাই। এইজনীয়ে সন্ধ্যায়েই হয়।"

Kaushik

"কি? হে ভগৱান। কি এইবোৰ? আমিতো অনুৰাধাক হে কইনা সজাই আহিছিলোঁ।"

আশ্বৰ্যত সীমাৰ মাতটো ডাঙৰকৈ ওলাল। জুৰিয়ে আকৌ ধমকি মাৰিলে,

"মনে মনে থাকচোন। কেনেবাকৈ কথাটো জাজৰ কাণত পৰিলে শেষ।"

তথাপি সীমাই যেন নিজৰ কৌতূহল ৰখাবই পৰা নাই,

"য়ে চন্ধ্যা তো চুপা ৰুষ্টম নিকলি য়াৰ। ঐ, অনুৰাধাক সন্ধ্যাই কেনেবাকৈ মাৰ্ডাৰ চাৰ্ডাৰ--"

সীমাৰ কথাৰ আধাতে নিমিষাই ক'লে,

"ঐ, মনে মনে থাকচোন এতিয়া। পাছত সুধিবি।"

এইবাৰ সীমা মনে মনে ৰ'ল। প্ৰিয়াই জুৰিৰ কাষ চাপি ক'লে,

"জুৰি, যদি সন্ধ্যা ইয়াত। তেন্তে অনুৰাধা ক'ত?"

"ৰহ। কম্পিটিচনটো শেষ হওঁক। তাৰ পাছত উলিয়াম।"

জুৰিৰ কথাত প্ৰিয়াও মনে মনে ৰ'ল। কথা পতা বন্ধ কৰি সিহঁত কেইজনীয়ে চাই ৰ'ল ষ্টেজত দৰা কইনাৰ সাজত থকা অনুৰণ আৰু সন্ধ্যালৈ।

চকুৰ পলক জপাবলৈও পাহৰি গৈছে অনুৰণে। আচৰিত হৈ চাই ৰৈছে সি সন্ধ্যালৈ। কি হৈ আছে একো উৰাদিহ পোৱা নাই সি। সন্ধ্যাই এবাৰ কোনেও নেদেখাকৈ হাতেৰে চিকুটি দিলে অনুৰণৰ বাহুত। তেতিয়াহে যেন বাস্তৱলৈ ঘূৰি আহিল অনুৰণ। তাৰ পাছতে আৰম্ভ কৰিলে প্ৰতিযোগিতাৰ চিনাকি পৰ্ব। দীঘলকৈ এটা উশাহ টানি অনুৰণে ক'লে,

"নমস্কাৰ, মোৰ নাম অনুৰণ হাজৰিকা। মই ডিব্ৰুগড়ৰ বাসিন্দা আৰু এইয়া মোৰ ধৰ্মপত্নী সন---"

"নমস্কাৰ মই অনুৰাধা চৌধুৰী। মই যোৰহাটৰ জীয়ৰী।"

অনুৰণৰ কৈ নহওঁতেই সন্ধ্যাই ঘপকৈ কৈ দিলে। এইবাৰ আৰু আচৰিত হৈছিল জুৰিহঁত। সীমাৰ মুখৰ পৰা আপোনা আপুনি ওলাইছিল,

"গোলমাল হে ভাই গোলমাল হে।"

Kaushik

অকল সিহঁতেই নহয়, কমিউনিটী হলত সন্ধ্যাক চিনি পোৱা যিমান মানুহ আছিল, চবৰে চকু কঁপালত উঠিছিল। কোনেও বুজা নাই, হৈ কি আছে? প্ৰতিযোগিতাত নাম আছিল অনুৰাধাৰ। কিন্তু আহিল সন্ধ্যা। আৰু এতিয়া আকৌ তাই নিজৰ নাম অনুৰাধা বুলি কৈছে। ভাগ্য ভাল যে এইবাৰ বিচাৰক ইউনিভাৰ্চিটীৰ ভিতৰৰ নহয়। বাহিৰৰ মানুহে সন্ধ্যাহঁতক চিনি নাপায় বাবে বাচি গ'ল সিহঁত।

ষ্টেজত সন্ধ্যাই প্ৰথমে ক'বলৈ আৰম্ভ কৰিছিল সিহঁতৰ বিয়াৰ কাল্পনিক কাহিনী,

"এওঁক মই প্ৰথম ইউনিভাৰ্চিটীতে লগ পোৱা। আমি ক্লাছমেট আছিলোঁ। মই অলপ উৎপতীয়া আৰু এওঁ একেবাৰেই শান্ত। কথাও নকয়। তথাপি কিয় জানো, সকলোৰে মাজত তেওঁকহে যেন বিচাৰি ফুৰিছিল মোৰ চকুৱে।"

মুখত হাঁহি বিৰিঙি উঠিছিল অনুৰণৰ। সিও আৰম্ভ কৰিলে,

"সৰুৰে পৰাই হুলস্থুল বৰ বেছি ভাল নাপাওঁ মই। বেছি মানুহৰ লগত কথাও নাপাতোঁ। কিন্তু সন--"

হঠাৎ ৰৈ মুখেৰে কাহ অহাৰ দৰে শব্দ এটা কৰি সি আকৌ ক'লে,

"কিন্তু অনুৰাধা মোৰ সম্পূৰ্ণ বিপৰীত আছিল। হাঁহিৰে চঞ্চল ছোৱালীজনী প্ৰথমৰ পৰাই কিবা এটা ভাল লাগিছিল। কিন্তু ক'ব পৰা নাছিলোঁ। হয়তো হেৰুৱাৰ ভয়।"

আকৌ সন্ধ্যাই ক'লে,

"সময়বোৰ পাৰ হৈছিল। ইউনিভাৰ্চিটীৰ জীৱনত প্ৰথম বাৰৰ বাবে ঘৰৰ পৰা আঁতৰত থাকি বহু সমস্যাৰ সন্মুখীন হৈছিলোঁ। মানুহৰ ন ন ৰূপ দেখিছিলোঁ। কিন্তু প্ৰতিটো বিপদতে অনুৰণ মোৰ কাষত ছাঁৰ দৰে থিয় দি আছিল। কেতিয়াও অকলশৰীয়া হ'বলৈ দিয়া নাছিল। লাহে লাহে মইও অনুভৱ কৰিছিলোঁ যে মই অনুৰণক ভাল পাওঁ।"

এইবাৰ পুনৰ অনুৰণে কৈছে,

"কিন্তু কথাবোৰ এজনেও আনজনক ক'ব পৰা নাছিলোঁ। তেনেকৈয়ে থাকি গৈছিল অনুভৱবোৰো।"

Kaushik

"কিন্তু সময়ৰ কোলাত মই অনুৰণ হেৰুৱাবলৈ ওলাইছিলোঁ আৰু তেনে এক অৱস্থাত সকলো লাজ মান এৰি অনুৰণক মোৰ মনৰ সকলো খিনি কথাই খুলি ক'লো। তাৰ পাছতেই আমাৰ ভালপোৱাৰ সেউজীয়া কাহিনীটো আৰম্ভ হ'ল।"

সন্ধ্যাই কৈ থাকোঁতে অনুৰণে একান্ত মনে একেথৰে চাই ৰৈছিল তাইলৈ চকুৰ পলক নজপোৱাকৈ। লগতে সিও ক'লে,

"আৰু আজি আমি আমাৰ দুইখন ঘৰৰ অনুমতিত বিয়া পাতিছোঁ।"

লগে লগে হাত চাপৰিয়ে ভৰি পৰিছিল পৰিৱেশ। অনুৰণ আৰু সন্ধ্যাই ইটোৱে সিটোৰ চকুলৈ চাইছিল। নাই, সিহঁতে এটাইও এই কাহিনীটো আগতে প্লেন কৰা নাছিল। আনকি সন্ধ্যা কইনা সাজি আহিব বুলিটো অনুৰণে নাজানেই। অনুৰাধাৰ লগত এটা বেলেগ কাহিনীহে ঠিক হৈ আছিল। কিন্তু এই কাহিনীটো যেন নিখুঁত ভাৱে ইজনে সিজনৰ চকুলৈ চাইয়ে পঢ়ি যাব পাৰিছিল সিহঁতে। নোৱাৰিবনো কিয়, কাহিনী যেতিয়া সঁচা হয়। জীৱনেও তেতিয়া ভালপোৱাৰ উৎসৱ পাতে। হয়তো সন্ধ্যাই কোনটো কাহিনী ক'বলৈ ওলাইছে অনুৰণে গম পাইছিল। গোটেই হলটোত কোনেও নাজানিলেও অনুৰণ আৰু সন্ধ্যাইতো জানে, সিহঁতে যে আজি নিজৰ কাহিনীয়ে কৈ দিলে। কিন্তু কাহিনীৰ দৰেই সিহঁতৰো মিলন হ'বগৈ নে! নাজানে সন্ধ্যাই। নাজানে অনুৰণেও।

Kaushik

অনুৰণহঁতৰ কৈ হোৱাৰ পাছত এতিয়া আছে প্ৰশ্নোত্তৰ শিতান। বিচাৰকে আৰম্ভ কৰিলে,

"প্ৰেমৰ সম্পৰ্কৰ পৰিণতিত বিবাহ হৈছে তোমালোকৰ। এটা সম্পৰ্কত আটাইতকৈ প্ৰয়োজনীয় বস্তুটো কি তোমাৰ মতে?"

উত্তৰটো সন্ধ্যাই দিছিল,

"সন্মান।"

বিচাৰকে সুধিলে,

"কিয়? বিশ্বাস নহয় নেকি?"

সন্ধ্যাই মিচিকিয়াই ক'লে,

"য'ত সন্মান থাকিব তাত বিশ্বাসো থাকিব। কিন্তু সন্মান নোহোৱাকৈ থকা বিশ্বাস ভাঙিবলৈ বেছি সময় নালাগে।"

দৰ্শকৰ পৰা জাউৰিয়ে জাউৰিয়ে হাত চাপৰি। সন্ধ্যাৰ উত্তৰত বিচাৰকেও মিচিকিয়াইছিল। তেওঁ পুনৰ সুধিলে,

"দেউতাকৰ ঘৰৰ পৰা এজনী ছোৱালীয়ে আনিব পৰা আটাইতকৈ মূল্যৱান সম্পদটো কি?"

অলপো নোৰোৱাকৈ সন্ধ্যাই উত্তৰ দিলে,

"সংস্কাৰ।"

এইবাৰ বিচাৰকে অনুৰণক সুধিলে,

"এইবাৰ দৰাই কোৱা চোন। বিয়াৰ পাছত তুমি পত্নীক দিব পৰা আটাইতকৈ মূল্যৱান উপহাৰটো কি?"

অনুৰণে শান্ত মাতেৰে ক'লে,

"স্বাধীনতা।"

বিচাৰকৰ প্ৰশ্ন,

"কিয়? প্ৰতিশ্ৰুতি, ভৰষা এইবোৰ?"

অনুৰণে এবাৰ সন্ধ্যালৈ চাই উত্তৰ দিলে,

"ভৰষা আৰু প্ৰতিশ্ৰুতি দিব পাৰিছোঁ বাবেইতো বিয়া কৰাইছোঁ। বিয়াৰ পাছত প্ৰতিশ্ৰুতি দিয়াৰ কি অৰ্থ? বিয়া মানেই এক প্ৰতিশ্ৰুতি এক ভৰষা উৰেতো জীৱন একেলগে থকাৰ।"

আকৌ হাত চাপৰি আৰু চিঞৰ দৰ্শকৰ। সন্ধ্যাই মিচিকিয়াইছিল। অনুৰণৰ উত্তৰত বিচাৰকো যে প্ৰসন্ন সেয়া তেওঁলোকৰ হাঁহিতে ফুটি উঠিছিল। হাঁহি মুখেৰে কৈছিল তেওঁলোকে,

"ঠিক আছে। এতিয়া তোমালোক যাব পাৰা।"

অনুৰণ আৰু সন্ধ্যা ষ্টেজৰ পৰা নামি গ'ল গ্ৰীণৰুমলৈ। গ্ৰীণৰুমত সোমায়েই অনুৰণে সুধিলে,

"ঐ, কি আছিল মানে এইবোৰ? অনুৰাধাৰ ঠাইত তুমি যে?"

Kaushik

সন্ধ্যাই দুষ্টালিৰ হাঁহিৰে ক'লে,

"কিয়? অনুৰাধাৰ লগত দৰা হ'বলৈ খুব মন আছিল ন?"

অনুৰণে ছিৰিয়াছ হৈয়ে ক'লে,

"চোৱা, মোৰ মন এনেও নাছিল। অকল তোমাৰ কাৰণে হ'ম বুলি ক'লো। তাৰ পাছত আকৌ অনুৰাধাৰ ঠাইত আহিলা তুমি। আহিলা বাৰু ঠিকে আছে, কিন্তু নামটো অনুৰাধা বুলি কিয় ক'লা?"

"উফ, ইমান কুৱেশ্যন ঔ। আচলতে অনুৰাধাই অহাৰ কথা আছিল। কিন্তু তাইৰ অসুবিধা এটা হোৱাত আহিব নোৱাৰি মোক পঠালে।"

অনুৰণ সন্ধ্যাৰ কিছু ওচৰ চাপি আহি ক'লে,

"কইনা সাজত বেয়া লগা নাই আকৌ। লৈ যাওঁ নি ঘৰলৈ?"

চকুত তাৰ চঞ্চল চাঁৱনি। সন্ধ্যাৰ বুকুত বাজিছিল এটা মৃদু জোঁকাৰণি। প্ৰিয়জন কাষলৈ অহাৰ খবৰটো বুকুখনে কেনেকৈ পাই যায় বাৰু! অনুৰণৰ কথাত সন্ধ্যাই মুখৰ ভিতৰতে কোৱাৰ দৰে ক'লে,

"হুঁহ, পাঁচ বছৰে সৰু কথা এটা ক'বলৈ সাহস নহ'ল। এতিয়া আকৌ ঘৰলৈ নিয়ে। ভয়াতুৰ ক'ৰবাৰ।"

অনুৰণে লগে লগে সুধিলে,

"কি হ'ল? কি ভোৰভোৰাই আছা মুখৰ ভিতৰত?"

সন্ধ্যাই কিবা এটা ক'বলৈ লওঁতেই বিশ্বজিৎ, ৰাজদ্বীপ আৰু ময়ূঁৰ ওলালহি। বিশ্বজিতে চিঞৰাৰ দৰে ক'লে,

"কি মজা আনচাৰ দিছা ৰে তোমালোকে। কঁপাই দিছা মানে? সন্ধ্যা, ভালেই হ'ল তুমি আহিলা। অনুৰাধাই এনেকৈ আনচাৰ দিব নোৱাৰে।"

সন্ধ্যাই হাঁহিৰে তলমূৰ কৰিলে। বিশ্বজিতহঁতৰ লগতে কথা পাতি পাতি অনুৰণ ওলাই গ'ল। গ্ৰীণৰুমত অকলে ৰৈ আছিল সন্ধ্যা। এটা দীঘল উশাহ টানিলে তাই। কথাবোৰ তাইৰ নিজৰে বিশ্বাস হোৱা নাই। তাইৰ মানসপটত ভাহি উঠিছিল কিছু সময়ৰ আগৰ কথাবোৰ।

Kaushik

"আহা সন্ধ্যা। অনুৰণৰ কইনা ওলাওঁতে তুমি নাথাকিলে কেনেকৈ হ'ব!"

জুৰিহঁত ওলাই যোৱাৰ পাছত দুৱাৰখন জঁপাই অনুৰাধাৰ কাষ পাইছিলহি সন্ধ্যা। কইনাৰ সকলো গহণা পিন্ধি শিৰত সেন্দূৰ লৈও সাজু হৈয়ে আছে অনুৰাধা। অলপ পাছতে অনুৰণৰ লগত দৰা কইনাৰ সাজত থিয় দিব তাই। সন্ধ্যাৰ বুকুৰ ভিতৰখন যেন হঠাৎ কিবা খালী হৈ যোৱাৰ দৰে অনুভৱ হৈছিল। এক আচৰিত শূণ্যতা। ঈৰ্ষা নাছিল তাইৰ মনত। অনুৰাধাৰ সলনি নিজে হোৱাৰ বাসনাও জগা নাছিল মনত। মাত্ৰ নিজকে খুব অকলশৰীয়া যেন অনুভৱ হৈছিল। সেই প্ৰথম বাৰ ভাৰ্চিটী উইকত সন্ধ্যা আৰু অভিমন্যুক একেলগে দেখি অনুৰণৰো এনেকুৱাই হৈছিল নে, সন্ধ্যাই নাজানে। তথাপি অভিযোগ নাই তাইৰ। ভালপোৱাবোৰ বুকুত আজীৱন সাঁচি থ'ব পৰাকৈ তাই চহকী।

"সন্ধ্যা, এটা কথা সোধোঁ?"

অনুৰাধাৰ মাতত ভাৱৰ তন্দ্ৰা ভাঙিল সন্ধ্যাৰ। অনুৰাধাক খাৰু কেইডাল পিন্ধাই আছিল তাই। তাই মূৰ দুপিওৱাত অনুৰাধাই ক'লে,

"তুমি ৰাধাকৃষ্ণক ইমান কিয় ভাল পোৱা? মইতো বিচাৰোঁ মোৰ প্ৰেম ৰাধাকৃষ্ণৰ দৰে নহয়, মহাদেৱ আৰু গৌৰীৰ দৰে হওঁক। তেওঁলোকৰ প্ৰেমতহে প্ৰাপ্তি আছে।"

সন্ধ্যাই মিচিকিয়াই কৈছিল,

"প্ৰেমত প্ৰাপ্তি বুলি একো নাথাকে অনুৰাধা। প্ৰেম নিজেই এক প্ৰাপ্তি। এই যে তুমি কাৰোবাক অন্তৰেৰে ভাল পাই তেওঁক নিজৰ বুকুত ঠাই দিলা সেয়াই প্ৰাপ্তি।"

"হ'লেও ৰাধাকৃষ্ণৰ প্ৰেমত বিৰহেই আছিল চোন। কিন্তু শিৱ আৰু পাৰ্বতীৰতো--"

অনুৰাধাৰ কৈ নহওঁতেই সন্ধ্যাই ক'লে,

"কোনে কৈছে মহাদেৱ আৰু গৌৰীৰ প্ৰেমত বিৰহ নাই। মহাদেৱক পাবলৈ গৌৰীয়ে বাৰে বাৰে অৱতাৰ ল'ব লগা হৈছিল। প্ৰতিটো জনমত গৌৰীক পাইও হেৰুৱাৰ বিৰহেৰে দহিছিল মহাদেৱ। আমি খুব সহজেই কৈ দিওঁ, প্ৰেম হ'লে হৰ গৌৰীৰ দৰে হ'ব লাগে। ৰাধাকৃষ্ণৰ নিচিনা নহয়। কিন্তু প্ৰিয়জনক পাবলৈ বাৰে বাৰে জন্ম লোৱা

Kaushik

গৌৰী হোৱাতো কি ইমান সহজ? ইমান সহজ নে জনমৰ পাছত জনম একেগৰাকী নাৰীলৈ ৰৈ থকা মহাদেৱ হোৱাটো?"

অনুৰাধাই এইবাৰ সুধিছিল,

"তেন্তে সন্ধ্যা, হৰ গৌৰীৰ প্ৰেম আৰু ৰাধাকৃষ্ণৰ প্ৰেমৰ পাৰ্থক্য কি?"

সন্ধ্যাই উত্তৰ দিলে,

"হৰ গৌৰী আছিল দেৱতা আৰু দেৱী। জনমৰ পাছত জনমৰ তেওঁলোক ইজনে সিজনৰ বাবে ৰ'ব পাৰিছিল। কিন্তু ৰাধাকৃষ্ণ আছিল মানৱ। হ'ব পাৰে তেওঁলোক লক্ষ্মীনাৰায়ণৰ অংশ। কিন্তু পৃথিৱীত জন্মতো মানুহ হিচাপেই লৈছিল। গতিকে ৰাধা আৰু কৃষ্ণৰ বাবে জনম জনম অপেক্ষা কৰিবলৈ সময় আছিল জানো? হৰ গৌৰীৰ প্ৰেমৰ উদাহৰণ আমি ঠিকেই দিওঁ। কিন্তু আমি পাহৰি যাওঁ যে তেওঁলোক আদিদেৱ আৰু আদিশক্তি।"

সন্ধ্যাৰ ব্যাখ্যাত অনুৰাধা নিশ্চুপ হৈ বহি ৰৈছিল। সন্ধ্যাই মৰমেৰে আকৌ কৈছিল,

"প্ৰেমত কেতিয়াও তুলনা নাথাকে অনুৰাধা। প্ৰেম সদায় তুলনাবিহীন। যি প্ৰেমক তুলনা কৰে, তেওঁ প্ৰেমৰ অৰ্থই বুজি নাপায়। তেওঁ না কৃষ্ণৰ হ'ব পাৰে না মহাদেৱৰ। আৰু বিৰহৰ ভয়ত যি প্ৰেমক আঙুলি টোঁৱাই তেওঁতো প্ৰেমৰে অযোগ্য। কাৰণ য'ত প্ৰেম আছে তাত বিৰহো আছে। সেয়া লাগিলে ৰাধাকৃষ্ণই হওঁক, হৰগৌৰীয়েই হওঁক নাইবা ৰামসীতাই হওঁক।"

হঠাৎ সন্ধ্যাক আচৰিত কৰি তাইক সাৱটি উচুপি উঠিছিল অনুৰাধাই,

"মোক ক্ষমা কৰি দিবা সন্ধ্যা। মই তুমি হ'বলৈ ওলাইছিলোঁ। আজি বুজিছোঁ তুমি হোৱাৰ না মোৰ যোগ্যতা আছে না অধিকাৰ। যিজনী ছোৱালীয়ে প্ৰেমৰ এই পৱিত্ৰ সংজ্ঞা দিব পাৰে তাইৰ ছাঁ হোৱাৰো সাহস নাই মোৰ।"

সন্ধ্যাই বুজা নাছিল একো,

"এইবোৰ কি কৈছা অনুৰাধা। সোনকালে ওলোৱা। অনুৰণহঁত ৰৈ আছে চাগে।"

"নাই সন্ধ্যা। অনুৰণ মোৰ নহয়। সি সদায় তোমাৰে আছিল। আৰু তোমাৰহে হৈ থাকিব।"

Kaushik

চকুৰ পলক জপাবলৈও পাহৰি গৈছিল সন্ধ্যাই। কি কৈছে অনুৰাধাই এইবোৰ! অনুৰাধাই আকৌ কৈছিল,

"মই মূৰ্খ আছিলোঁ সন্ধ্যা। অনুৰণক পোৱাটো জেদ বুলি ভাবি লৈছিলোঁ। জোৰকৈ পাব খুজিছিলোঁ তাক। কিন্তু এতিয়া বুজি পালোঁ জেদত প্ৰেমিক পাব পাৰিম কিন্তু প্ৰেম পাব নোৱাৰোঁ। সিদিনা যেতিয়া তোমাক এৰি অনুৰণক সৰস্বতী পূজালৈ নিলোঁ, তেতিয়াও গম পাইছিলোঁ কিমান অস্বস্তিত আছিল অনুৰণ তুমি নথকাৰ বাবে।"

"কিন্তু অনুৰাধা, অনুৰণে যে তোমাক--"

"ভাল নাপায় সন্ধ্যা।" ,সন্ধ্যাক ক'বলৈ নিদি অনুৰাধাই ক'লে,

"ভাল নাপাই মোক অনুৰণে।"

"তেন্তে মই যেতিয়া সুধিছিলোঁ তোমাৰ আৰু তাৰ কথাটো সঁচা নে বুলি। তেতিয়া সি কিয় কৈছিল সঁচা বুলি, ক্লাছৰ চবেই জানে বুলি।" একে উশাহেৰে সোধা সন্ধ্যাৰ উত্তৰত অনুৰাধাই ক'লে,

"কৈছিল। কাৰণ সি ভাবিছিল তুমি আমাৰ কথাটো গম পাইছা।"

"মানে?"

"মানে মই আৰু অনুৰণ স্কুলত ক্লাছমেট আছিলোঁ সন্ধ্যা। অনুৰণহঁত আগতে যোৰহাটত আছিল। সি মেট্ৰিক দিয়ালৈকে। আৰু তেতিয়া আমি একেখন স্কুলতে পঢ়িছিলোঁ। প্ৰায় দহ বছৰ একেলগে পঢ়িছোঁ আমি। কিন্তু এই দহ বছৰতো সি মোৰ লগত সিমান কথা পতা নাই, যিমান তোমাৰ লগত পাতে।"

বাকৰুদ্ধ হৈ পৰিছিল সন্ধ্যা। তাৰমানে তাই অতদিনে মিছাতে অনুৰণক! ছিঃ, নিজলৈকে খং উঠিল সন্ধ্যাৰ। কেনেকৈ ভাবিব পাৰিছিল তাই অনুৰণে তাইক মিছা কথা ক'ব বুলি! কেনেকৈ ভাবিব পাৰিছিল অনুৰণে তাইৰ বাহিৰে আন কাৰোবাক ভাল পাব বুলি। গোটেই পাঁচ বছৰ যিটো ল'ৰা তাইৰ প্ৰতিটো বিপদত তাইৰ কাষত থিয় হৈ আছিল, সেই ল'ৰাটোক সেইখিনিও বিশ্বাস কৰিব নোৱাৰিলে তাই। থৰ হৈ থকা সন্ধ্যাক জোকাৰি দি অনুৰাধাই ক'লে,

"কি ভাবিছা সন্ধ্যা? জুৰিয়ে তোমাক মিছা কথা কৈছিল। অনুৰণ আৰু মোৰ মাজত সঁচাই একো নাই।"

Kaushik

চকুপানী বৈ আহিছে সন্ধ্যাৰ। মনত পৰিছিল তাই অনুৰণক কৰা অৱহেলাবোৰ। অৱজ্ঞাবোৰ। কিমান কষ্টত আছিল চাগে সি। বাৰে বাৰে সুধিছিল তাইক, "তোমাৰ কি হৈছে কোৱা"। কিন্তু তাই, সদায় নিশ্চুপ হৈ থাকিল। সন্ধ্যাৰ চকু পানী মচি দি অনুৰাধাই ক'লে,

"সন্ধ্যা, এদিন তুমিয়ে মোক কৈছিলা যে ৰুক্মিণী নহয় ৰাধা হোৱা, যদি হৃদয়তে নাই ভাগ্যত কিয় ৰোৱা। আজি মই বুজিছোঁ সন্ধ্যা। ৰাধা হ'বলৈও সাহস লাগে। বিৰহ সহিব পৰা সাহস আৰু ৰুক্মিণী হ'বলৈ লাগে যোগ্যতা। পত্নীৰ মৰ্যাদা পোৱাৰ যোগ্যতা। আৰু মোৰ ওচৰত না সাহস আছে না যোগ্যতা। অনুৰণৰ ৰাধা আৰু ৰুক্মিণী দুইও জনী কেৱল তুমিহে সন্ধ্যা।"

অনুৰাধাক সাৱটি ধৰিছিল সন্ধ্যাই। অনুৰাধাই তাই ড্ৰেচিংথনৰ ওচৰলৈ লৈ গৈছিল। এপদ এপদকৈ নিজৰ গহণাবোৰ খুলি পিন্ধাই গৈছিল তাইক। শেষত পাটৰ চাদৰ মেখেলা আৰু শিৰত সেন্দূঁৰ দি উৰণি টানি দিছিল। সন্ধ্যাই এবাৰ আকৌ অনুৰাধাক সাৱটি ধৰি উচুপি উঠিছিল। অনুৰাধাই কৈছিল,

"মোৰ কথা নাভাবিবা সন্ধ্যা। মাত্ৰ পাৰিলে কইনাৰ নামটো অনুৰাধা ৰাখিবা। মই তাতে সুখী হ'ম।"

কথাখিনি কৈ অনুৰাধাই সন্ধ্যাক লৈ গৈছিল কমিউনিটী হললৈ। হলটোৰ পিছফালৰ বাৰাণ্ডাতে ৰৈছিলগৈ। তাৰ পিছত জুৰিয়ে ফোন কৰাত অনুৰাধা আঁতৰি যাবলৈ লৈছিল,

"মই যাওঁ। ইহঁতে তোমাক অনুৰাধা বুলিয়ে ভাবি থাকক। আৰু কাহিনীৰ বাবে চিন্তা নকৰিবা। তুমি তোমাৰ আৰু অনুৰণৰ কাহিনীটোৰে আৰম্ভ কৰিবা। চাবা অনুৰণেও একেদৰেই কৈ যাব।"

কথাখিনি কৈ অনুৰাধা আঁতৰি গৈছিল। দীঘল উৰণিৰে সন্ধ্যা ৰৈ গৈছিল তাতেই।

"সন্ধ্যা, কিহৰ অভদ্ৰামি এইবোৰ?"

জুৰিৰ মাতটো খালী ৰুমটোত প্ৰতিধ্বনিত হৈ ডাঙৰকৈ ওলাইছিল। অথনিৰে পৰা ভাবনাৰ সাগৰত বুৰ গৈ থকা সন্ধ্যা চঁক খাই উঠিল। জুৰিহঁত সোমাই আহিল ৰুমটোলৈ। সন্ধ্যাক টান মাৰি আনিলে,

Kaushik

"কি আছিল এইবোৰ? তোক অনুৰাধাক সজাই দিবলৈহে থৈ আহিছিলোঁ। তই নিজে ওলাই আহিলি যে?"

"সন্ধ্যা নিজে ওলোৱা নাই। মই উলিয়াই আনিছোঁ।"

কথাটো কৈ কৈ ৰুমটোলৈ সোমাই আহিল অনুৰাধা। এইবাৰ জুৰিহঁত আৰু আচৰিত হ'ল। প্ৰিয়াই আগবাঢ়ি গৈ সুধিলে,

"হৈছে কি তোমাৰ অনুৰাধা? সন্ধ্যাই কিবা--"

"একো কৰা নাই সন্ধ্যাই। মই নিজেই বুজিছোঁ। প্ৰেম ভালপোৱা এইবোৰ জোৰকৈ কৰা বস্তু নহয়। অনুৰণ মোৰ নাছিলেই কোনোদিন। জেদত মই সন্ধ্যাৰ দৰে এজনী মৰমিয়াল ছোৱালীক ইমান কষ্ট দিলোঁ।"

অনুৰাধাৰ কথাত জুৰিয়ে ক'লে,

"এই দুবছৰতে ইমান বুজিলি সন্ধ্যাক তই হা? আমি পাঁচ বছৰ পাইছোঁ এইক। জানো কেনেকুৱা।"

অনুৰাধাই মিচিকিয়াই ক'লে,

"কেতিয়াবা কাৰোবাৰ লগত গোটেই জীৱন থাকিলেও তেওঁক বুজি পোৱা নাযায়। কিন্তু কেতিয়াবা সেয়া সম্ভৱ হয় মাত্ৰ এক মূহুৰ্তৰ চিনাকিত। দুবছৰতো বহুত সময়।"

এইবাৰ সীমাই সুধিলে,

"ঠিক আছে অনুৰাধা। মানি ল'লো যে তুমি কথাবোৰ বুজি পালা। কিন্তু সেইবুলি সন্ধ্যাক তোমাৰ ঠাইত পঠোৱাৰ কি দৰকাৰ আছিল? থ'ৰি না তুমি অনুৰণৰ লগত সঁচাকৈ বিয়া হ'বলৈ ওলাইছা? জাষ্ট কম্পিটিচন হে।"

"য়েচ। ইটচ জাষ্ট এ কম্পিটিচন। বাট মনত আছে নে সীমা, এই কম্পিটিচনটোলে অনুৰণক কেনেকৈ মনাইছিলোঁ? সন্ধ্যাক ইমোচনেল ব্লেকমেইল কৰি। সেইটো জানো আমি ভাল কৰিছিলোঁ? অনুৰণৰ মনেই নাছিল। মাত্ৰ সন্ধ্যাই কোৱাৰ বাবে সাজু হৈছিল।"

অনুৰাধাৰ কথাত জুৰিহঁতৰ চকুৱে মুখে বিৰক্তি ফুটি উঠিছিল। শেষত জুৰিয়ে ক'লে,

Kaushik

"হ'ব হ'ব। এইবোৰ জ্ঞান আমাক নুশুনাবি।"

কথাটো কৈয়ে তাই ওলাই গ'ল। পিছে পিছে প্ৰিয়াহঁতো। সন্ধ্যাৰ লগত অনুৰাধা তাতেই ৰ'ল। জুৰিহঁত ওলাই যোৱাৰ পাছত সন্ধ্যাই ক'লে,

"মই একো গম নাপালোঁ। জুৰিয়ে কিয় মোক ইমান বেয়া পোৱা হ'ল।"

"মন বেয়া নকৰিবা। এদিন সিহঁতেও বুজিব।"

অনুৰাধাই সন্ধ্যাৰ বাহুত হাত থৈ কৈছিল।

অলপ সময়ৰ পাছত ৰিজাল্ট দিলে,

"প্ৰথম পুৰস্কাৰ উৎপল আৰু ববিতা"

"দ্বিতীয় পুৰস্কাৰ মাধুৰ্য আৰু পংখী"

"তৃতীয় পুৰস্কাৰ পলাশ আৰু অনিমা"

লগে লগেই হাত চাপৰি আৰু চিঞৰবোৰ ভাহি আহিছিল। বিজয় হোৱা কেইজন ষ্টেজলৈ উঠি গৈছিল। গ্ৰীণৰুমত এন্ধাৰ যেন হৈ পৰিছিল সন্ধ্যা আৰু অনুৰাধাৰ মুখ। সিটো ফালে থকা অনুৰণৰো যেন মনটো সেমেকিছিল। দৰ্শকৰ শাৰীত থকা জুৰিহঁতে ফুচফুচালে,

"খুব ভাল পাইছোঁ।"

তেনেকুৱাতে এজন বিচাৰকে কৈ উঠিল,

"সকলোৱে খুব ভাল কৰিছে। সাজপোচাক আৰু আৰম্ভণিৰ চিনাকিৰ ভিত্তিত আমি বিচাৰ কৰিছোঁ। কিন্তু এটা বিশেষ দলক আমি বিজয়ী দলত ৰখা নাই। কাৰণ তেওঁলোকক আমি বিচাৰকৰ তৰফৰ পৰা আগবঢ়াব বিচাৰিছোঁ বিচাৰকৰ বিশেষ বঁটা। তেওঁলোকৰ যি উত্তৰ সেয়াই আমাকো বহু কথা ভবাই তুলিছিল। সেয়ে তেওঁলোক যেন এই প্ৰতিযোগিতাৰ ঊৰ্ধত।"

সকলোৱে কাণ থিয় কৰি শুনিছিল। কাৰ কথা কৈছে। বিচাৰক গৰাকীয়ে ক'লে,

"অনুৰণ আৰু অনুৰাধা"

Kaushik

সন্ধ্যাক সাৰটি ধৰি চিঞৰি উঠিছিল অনুৰাধাই। সন্ধ্যা আৰু অনুৰণ ষ্টেজলৈ উঠি গৈছিল। বিচাৰকজনে সিহঁতক মূৰত হাত ফুৰাই কৈছিল,

"আজিৰ দিনত স্বামী স্ত্ৰীৰ মাজৰ সম্পৰ্ক খুব থুনুকা হৈ পৰা দেখা যায়। কিন্তু উত্তৰ সমূহৰ জৰিয়তে এওঁলোকে যি কথা আমাক ক'লে সেয়া প্ৰত্যেকেই যদি পালন কৰে এটা সম্বন্ধ কেতিয়াও ভাঙি নাযায়।"

হাত তালিৰে ভৰি গৈছিল সুন্দৰ সন্ধিয়াটো। সকলোৰে মাজত অনুৰণে মুঠি মাৰি ধৰিছিল সন্ধ্যাৰ হাতত। সময়ে যেন ভালপোৱাৰ উৎসৱ পাতিছিল আজি। বাহিৰত সেয়া প্ৰেমিক ফাগুণৰ কোলাত চঞ্চল পছোৱাৰ প্ৰেমালাপ।

অনুৰাধাৰ ৰুমত কইনাৰ কাপোৰ সলাই নিজৰ কাপোৰ পিন্ধিবলৈ লৈছিল সন্ধ্যাই। এনেতে অনুৰাধাই ক'লে,

"সন্ধ্যা"

"কোৱা"

"তুমি কৈ নিদিয়া কিয় তাক যে তুমি ভাল পোৱা?"

"কিন্তু মইতো নাজানোঁ সি মোক ভাল পাই নে নাপায়।"

অনুৰাধাই সন্ধ্যাৰ সমুখলৈ আহি গালখনত মৰমেৰে চুই কৈছিল,

"সকলো কথা মুখেৰে ক'ব নালাগে সন্ধ্যা। বুজি পাব লাগে।"

সন্ধ্যাই একো নকৈ মনে মনে ৰ'ল। অনুৰাধাই আকৌ ক'লে,

"অনুৰণক মই জানো। সি কেতিয়াও নিজৰ অনুভৱবোৰ প্ৰকাশ নকৰে। আচলতে কৰিবই নাজানে। গতিকে আগভাগ তুমিয়ে ল'ব লাগিব সন্ধ্যা। পাঁচ বছৰ বহুত সময়। এতিয়া যোৱাৰ আগততো কথাটো কোৱা।"

"কিন্তু--"

"কোনো কিন্তু নাই। আজিয়েই তুমি তাক কথাটো ক'ব লাগিব।"

"কি? আজিয়েই?"

Kaushik

সন্ধ্যাই চিঞৰি উঠিছিল অনুৰাধাৰ কথাত। অনুৰাধাই কৈছিল,

"অঁ। আমিতো এইবাৰ পাটকাইৰ লগত পৰিছোঁ। গতিকে ৰাতি কোৰাছৰ প্ৰেকটিছত আহোঁ মইও। আজি যেতিয়া চবেই প্ৰেকটিছ কৰি থাকিব মই অনুৰণক কাঞ্চনজংঘাৰ পুলটোৰ ওচৰলৈ লৈ যাম। তোমালোকৰ প্ৰেকটিছতো চৰাইদেউতহে হয়। তুমিও আহি যাবা তাৰ পৰা। তাত ডিষ্টাৰ্ব কৰিবলৈও কোনো নাথাকিব।"

"কিন্তু অনুৰাধা--"

"একো কিন্তু চিন্তু নাই। বহুত হ'ল আৰু। বহুত কষ্ট পালা দুইটাই। এতিয়া মুঠতে চব ঠিক হ'ব লাগে। এতিয়া ৰুম যোৱা। ৰাতি লগ পাম।"

কথাটো কৈ সন্ধ্যাক নি তলত থৈ আহিল অনুৰাধাই। আজি বহুত দিনৰ মূৰত তাইৰ মনটো পাতল লাগিছে। মনৰ কলুষতা খিনি যেন ধুই নিছে আজি। সন্ধ্যা আৰু অনুৰণ একলগ হ'লেই যেন তাইৰ মনৰ বাকী থকা মলিনতা খিনিও নোহোৱা হ'ব। আচৰিত ছোৱালী সন্ধ্যা। কি ধুনীয়াকৈ মৰমেৰে মনবোৰো সলাই দিয়ে। অতদিনে অনুৰাধাই ইমানবোৰ অন্যায় কৰাৰ পাছতো টু শব্দ এটা নক'লে। সেইজনী ছোৱালীক কিদৰে দুখ দিব পাৰে কোনোবাই। নাই, আৰু দুখ নাপাই সন্ধ্যাই। অনুৰাধা ঢাল হৈ থিয় দিব। তাই নিজেও অনুভৱ কৰিব পাৰিছে, অনুৰণ একমাত্ৰ সন্ধ্যাৰ লগত থাকিলেহে যেন তাইও হাঁহি মুখে মানি ল'ব পাৰিব। তাৰ বাবে যিখিনি কৰিব লাগে অনুৰাধাই কৰিব।

Kaushik

চৰাইদেউত আজি প্ৰেকটিছত মন বহাব পৰা নাই সন্ধ্যাই। ঢোল যেন আজি তাইৰ বুকুত হে বাজিছে। ফাগুণৰ পছোৱাত যেন আগলি কলপাতৰ দৰে কঁপিছে। মুখত বাৰে বাৰে আহি ঢৌ খেলি গৈছে যাযাবৰী হাঁহি এটাই। বিশ্বাস হোৱা নাই সন্ধ্যাৰ। তাই কি সঁচাই অনুৰণক আজি মনৰ কথাষাৰ ক'ব? কি বুলি ক'ব বাৰু? সি বা কিদৰে ল'ব? কি ক'বনো সি কথাটো শুনি? লাজত তলমূৰ কৰিব চাগে। ৰঙা হৈ পৰিব চাগে তাৰ মুখখন। অতদিনৰ পৰা অপেক্ষা কৰি থকা দিনটো আজি কি সঁচাই আহিবনে? ভাবিলেই যে কঁপি উঠে সন্ধ্যা।

"সন্ধ্যা বা, আপোনাৰ ফোন বাজি আছে।"

চিৰঞ্জীৱৰ মাতত হে বাস্তৱলৈ ঘূৰিল সন্ধ্যা। অনুৰাধাই কৰিছে চাগে। একে উশাহে ফোনটোৰ ওচৰ পালেগৈ তাই। কিন্তু অনুৰাধা নহয়, ময়ূঁৰহে। সন্ধ্যাই ৰিচিভ কৰিলে,

"অঁ ময়ূঁৰ। কোৱা।"

"তুমি চৰাইদেউতে আছা নে?"

"অঁ আছোঁ। প্ৰেকটিছত আছোঁ। কিয়?"

"আগফালে ওলাই আহাচোন।"

"কিয়? কিবা?"

"জল্দি আহা।"

কথাটো কৈয়ে ফোনটো কাটিলে ময়ূঁৰে। ওচৰতে থকা ছোৱালীজনীক "মই লগৰ এটাক লগ কৰি আহোঁ" বুলি কৈ সন্ধ্যা ওলাই আহিল চৰাইদেউৰ আগফালে। ময়ূঁৰ ৰৈয়ে আছিল তাত। সন্ধ্যা আহি পোৱাৰ লগে লগে সি ক'লে,

"গম পালোঁ। চব গম পালোঁ সন্ধ্যা।"

ময়ূঁৰে ফোঁপাইছে। ঘন ঘনকৈ উশাহ লৈছে। সন্ধ্যাই আচৰিত হৈ সুধিলে,

"কি গম পাইছা তুমি?"

"ইমান দিনে কোনে তোমাৰ লগত বেয়াবোৰ কৰি আছিল। কোনে কৌশিকক তোমাৰ দেউতাৰ ফোন নম্বৰ দিছিল, কোনে তোমাৰ গগণা ভাঙিছিল, তোমাৰ ৰুমত লক কৰিছিল, তোমাৰ লেপটপৰ পৰা এচাইনমেণ্ট ডিলিট কৰিছিল চব গম পালোঁ। এইবোৰ চব একেটা মানুহেই কৰি আছিল।"

আশ্বৰ্যত চকু ডাঙৰ হৈ গৈছিল সন্ধ্যাৰ। যোৱা পাঁচ বছৰে তাইৰ লগত এইবোৰ এজনেই কৰি আছিল? তাইক ইমান বেয়া পোৱা মানুহ আছে নে? ভয়ে ভয়ে সুধিলে সন্ধ্যাই,

"কোনে কৰি আছে ময়ূঁৰ?"

ময়ূঁৰে কিবা এটা ক'বলৈ লওঁতেই সন্ধ্যাৰ ফোনটো বাজিল। চাই দেখে এটা চিনাকি নাম। ময়ূঁৰে লগে লগে ক'লে,

Kaushik

"এইটো নামেই ক'ব লৈছিলোঁ।"

"কি? পাগল হৈছা নেকি? ইটচ ইম্পছিবল।"

সন্ধ্যাই চিঞৰি উঠিছিল। তাইৰ বিশ্বাস হোৱা নাই। তাইৰ গোটেইবোৰ কামত যে এই চিনাকি নামটো জড়িত হৈ থাকিব। নাই, কেনেকৈ মানিব তাই। তাইৰ লগত সদায় ছাঁ হৈ থকা কোনোবাই যে--। এনেতে ময়ূঁৰে সন্ধ্যাৰ পৰা ফোনটো লৈ ৰিচিভ কৰি লাউডত দিলে। সিফালৰ পৰা অচিনাকি কন্ঠ এটাই ক'লে,

"এই ফোনটো যাৰ, তেওঁৰ এটা এক্সিডেন্ট হৈছে। মিছনত ভৰ্তি কৰিছোঁ। আপুনি পাৰিলে সোনকালে আহক।"

মূৰটো যেন আচন্দ্ৰাই কৰিছে সন্ধ্যাৰ। কঁপা কঁপা মাতেৰে ময়ূঁৰক ক'লে,

"ময়ূঁৰ, প্লিজ ব'লা। আমি যাব লাগিব। তোমাৰ ৰুমমেটৰ বাইক আছিল নহয়। লৈ লোৱা।"

ময়ূঁৰে খঙেৰে ক'লে,

"কোনো কাৰণতে নাযাওঁ। ভাল শিক্ষা হৈছে। এনেকুৱা মানুহৰ লগত এইবোৰেই হ'ব লাগে। বাহিৰে ইমান ভাল হৈ থাকি ভিতৰি এইবোৰ।"

লগে লগে সন্ধ্যাই বলিয়াৰ দৰে চিঞৰি উঠিল,

"পাগল হৈছা নেকি তুমি ময়ূঁৰ। ভাল বেয়া পাছত ভাবিম। কিন্তু এনেকুৱা অৱস্থাত মই এনেকৈ ইয়াত থাকিব নোৱাৰোঁ। প্লিজ মোক লৈ যোৱা ময়ূঁৰ। প্লিজ।"

কান্দোনত ভাঙি পৰিছিল সন্ধ্যা। শেষত যোৱাৰ সিদ্ধান্ত ল'লে ময়ূঁৰে। বাইকখন উলিয়াই সন্ধ্যাক বহোৱাই লৈ আগবাঢ়িল মিছন নাৰ্চিংহোমলৈ। দৌৱা দৌৰিত আৰু এটা পাছত আন এটা বুকু কঁপাই যোৱা খবৰত সন্ধ্যাই পাহৰি গ'ল কাৰোবাক খবৰ দিবলৈ।

সময় পাৰ হৈছিল। হোষ্টেলত সন্ধ্যাক বিচাৰি নাপাই লাহে লাহে হাঁহাকাৰ লাগিল। কোনোবাই ক'লে ল'ৰা এটাৰ লগত বাইকত গৈছে। লগে লগে যেন জুইহে লাগিছিল সোৱণশিৰীত। ৰাতি বাৰটা বজাত ল'ৰাৰ লগত বাইকত কেম্পাছৰ পৰা পলাই গৈছে সন্ধ্যা। খবৰটোৱে তোলপাৰ লগাইছিল।

Kaushik

আনৰ বাবে নিজৰ কথা নাভাবি জুইত জাঁপ দি বাইকত গৈ থকা ময়ূঁৰ আৰু সন্ধ্যাই অনুমানো কৰিব পৰা নাছিল সিহঁতৰ জীৱনলৈ আহিব লগা কাল ধুমুহাজাকৰ কথা।

(আগলৈ)

#নিৰিবিলি

Part 120

"শিৱসাগৰ জিলাতে জয়সাগৰ পুখুৰী,

নবৌ কাপোৰ ধুইছিলে ঐ এচাৰি ঐ এচাৰি,

এচাৰি ঐ এচাৰি দূৱৰী বন গচকি,

নবৌ মৰম দিছিলে মোক এচাটি পানী মাৰি"

ঢোলে গুমগুমাই আছে পাটকাইৰ কমন ৰুম। ভাৰ্চিটী উইকৰ নিশা। সাৰে আছে কাঞ্চন, সাৰে আছে যৌৱন। অলপ সময় প্ৰেকটিছ কৰি সকলোৱে অলপ জিৰাই। সেই জিৰাওঁতেই এনে ধৰণৰ বিহুৰ যোজনা গাই থাকে দ্বীপ, বিদ্যুৎ, ৰক্তিমহঁতে। যোজনাটো ভাল পাই মানসেও উকি মাৰিলে,

"আইজৈ, নেৰিব্বা। ঐ জুৰি, আহ আকৌ। এপাক ধৰ।"

"হেই ৰহ ঔ এইডাল। ভাগৰ লাগি গৈছে।"

অলপ সময় নাচি ভাগৰুৱা হৈ জুৰি কাষৰ চকীখনতে বহিছেহি। তাইৰ কাষতে অনুৰাধা। অনুৰাধাহঁতৰ কোৰাচৰ প্ৰেকটিছ শেষ হ'ল। তাই বিহু নানাচে যদিও জুৰিৰ লগত আহি দিছে। অৱশ্যে আজি তাই অহাৰ কাৰণ বেলেগ। অনুৰণক সুযোগ বুজি উলিয়াই নিব। সন্ধ্যাও আহিব ওলাই চৰাইদেউৰ পৰা। মুঠতে যি কৰিয়েই নহওঁক, আজি তাই অনুৰণ আৰু সন্ধ্যাক একলগ কৰিহে এৰিব। কিন্তু অনুৰণ ক'ত? অহাৰ পৰাই অনুৰাধাৰ চকুৱে তাকেই বিচাৰি আছে। কিন্তু সি এবাৰো চকুত পৰা নাই যে? হোষ্টেলত নাইয়ে নেকি? নাথাকিনো ক'ত যাব? তাক ফোন কৰিবলৈও যে ভাল লগা নাই। কি বুলি বা ভাবে সি! আৰু তাই ফোন কৰিলেই যেনিবা, অনুৰণ জানো ওলাই আহিব! কিন্তু অনুৰাধাই বেছি সময় ৰ'বলগীয়া নহ'লেই। সময়ে সুযোগ আনি দিছিল।

Kaushik

জুৰিৰ লগত কথা পাতি থাকোঁতেই দ্বীপে কমন ৰুমৰ বাহিৰৰ ফালে চিঞৰ মৰা শুনিলে,

"ঐ, অনুৰণ। মোৰ ৰুমতে বাঁহীটো থাকি আহিল লৈ আনচোন।"

অনুৰাধাৰ মুখত হাঁহি বিৰিঙি উঠিল। অলপ পাছতে দ্বীপৰ বাঁহীটো লৈ অনুৰণ ৰুমত সোমালহি। বাঁহীটো দিয়াৰ পাছতে বিহু গ্ৰুপৰে ছোৱালী এজনী অনুৰণৰ ওচৰ পালেগৈ,

"হাই, তুমিয়ে অনুৰণ হাজৰিকা ন? আজি যে দৰা হৈছিলা?"

অনুৰণে "উম" বুলি মূৰ দুপিয়ালে। ছোৱালীজনীয়ে হাঁহি মাৰি কৈ উঠিল,

"ভাল লাগিল বহুত তোমাৰ আনচাৰবোৰ। এণ্ড অলচ' য়ৰ ভইচ। আই লাইক ইট। কংগ্ৰেটছ্।"

"থেংক ইউ।" অনুৰণে কওঁ নকওঁকৈ ক'লে।

"শুনা না, কেন উই বি ফ্ৰেণ্ডছ?"

ছোৱালীজনীৰ কথাত কি কওঁ নকওঁকৈ ৰৈ থকা অনুৰণক উদ্ধাৰ কৰিলেহি অনুৰাধাই। পিছফালৰ পৰা আহি ছোৱালীজনীৰ বাহুত ধৰি তাই ক'লেহি,

"ৰূপা, ইয়াত বিহুৰ প্ৰেকটিছ্ হে কৰিবলৈ আহিছা। যোৱা, নিজৰ কাম কৰা দেই। আৰু এখেতলৈ আশা নকৰিবা। এওঁ বুকড অলৰেদি।"

অনুৰাধাৰ কথাত ওলাই আহিব খোজা হাঁহিটো জোৰকৈ ধৰি ৰাখিছিল অনুৰণে। বেচেৰী ছোৱালীজনীৰ মুখখন চাবলগীয়া হৈছিল। অনুৰাধালৈ পোন্দামোৱাকৈ চাই তাই আঁতৰি গ'ল। অনুৰণো ৰুমটোৰ পৰা যাবলৈ লওঁতেই অনুৰাধাই মাতিলে,

"অনুৰণ, শুনা।"

সি ৰ'ল। অনুৰাধা তাৰ কাষলৈ আহিল,

"তোমাৰ লগত অলপ কথা আছিল।"

"কোৱা"

"ইয়াত নহয়। বাহিৰলৈ যাওঁ ব'লা।"

অনুৰণে একো নামাতি মনে মনে ৰ'ল। অনুৰাধাই কিবা এটা বুজি পাই আকৌ ক'লে,

kaushik

"নাযাওঁ বুলি নক'বা প্লিজ। সন্ধ্যাৰ কথা এটা আছে।"

অনুৰণে আচৰিত হৈ চাইছিল অনুৰাধালৈ। তাৰ পাছতে সিহঁত পাটকাইৰ পৰা ওলাই আহিল। খোজকাঢ়ি আগবাঢ়িছিল কাঞ্চনজংঘাৰ পুলটোৰ ফালে। অনুৰণে এইবাৰ নিজে সুধিলে,

"আজি কি কৰিলা মানে তোমালোকে? তোমাৰ নাম লৈ সন্ধ্যা আহিল যে?"

অনুৰাধাই হঁহাৰ দৰে ক'লে,

"কাগজত কাৰ নাম আছে বাদ দিয়া। মনত যাৰ নাম আছে তেওঁহে আচল।"

অনুৰণে একো নামাতি গৈ থাকিল। অনুৰাধাই আকৌ ক'লে,

"মই বহুত ভুল কৰিলোঁ অনুৰণ। সন্ধ্যা কেনেকুৱা ছোৱালী মই এতিয়াহে বুজি পাইছোঁ। আৰু মই তাইৰ দৰে হ'ব ওলাইছিলোঁ। সেইটো অসম্ভৱ। সন্ধ্যা সকলোতকৈ বেলেগ।"

"সেইটো হয়। সেইবাবেই--"

কথাটো কৈ ৰৈ গ'ল অনুৰণ। অনুৰাধাই সুধিলে,

"সেইবাবেই কি?"

অনুৰণে একো নোকোৱা দেখি অনুৰাধাই হাঁহি হাঁহি ক'লে,

"তুমি একো ক'ব নালাগে। আজি সন্ধ্যাই নিজেই ক'ব চব।"

"মানে?" অনুৰণে যেন চঁক হে খাইছিল।

"ৰ'বা। অলপ পাছতে গম পাবা।" বুলি অনুৰাধাই সন্ধ্যালৈ ফোন লগালে। ৰিং হৈ হৈ কাটি গৈছে। এবাৰ, দুবাৰ, তিনিবাৰ। নাই উঠোৱা ফোন। কি হ'ল সন্ধ্যাৰ। অনুৰাধাইতো কৈ থৈছিল তাইক। তেন্তে! এসময়ত অনুৰণৰ বিৰক্তি লাগিল,

"কি ধেমালি কৰি আছা এইবোৰ অনুৰাধা?"

"প্লিজ অনুৰণ। অলপ ৰোৱা। সন্ধ্যা আহিব।"

এনেতে অনুৰাধাৰ ফোনটো বাজিল। জুৰিয়ে কৰিছে। তাই ৰিচিভ কৰিলে,

"অঁ জুৰি ক।"

Kaushik

"ক'ত আছ অন্নু?"

"বাহিৰত। কচোন।"

"বহুত ডাঙৰ কেচ এটা হ'ল।"

"কি কেচ?"

"সন্ধ্যা হেনো ল'ৰা এটাৰ লগত পলাই গ'ল।"

"হোৱাট?"

অনুৰাধাই চিঞৰ মাৰি উঠিছিল। অনুৰণেও উচপ খাই উঠিল চিঞৰত। সিফালৰ পৰা জুৰিয়ে ক'লে,

"জল্দি আহচোন। হুলস্থুল লাগিছে ইয়াতো।"

কথাটো কৈয়ে তাই ফোনটো কাটিলে। অনুৰাধাৰ মুখখন এন্ধাৰ হৈ পৰা দেখি অনুৰণে সুধিলে,

"কি হৈছে?"

"নাই। কোনোবাই এইবোৰ এনেয়ে উলিয়াইছে। মিছা কথা।"

"কথাটো কি নো?"

"মানে, মানে অনুৰণ--"

অনুৰাধাৰ মাতটো কঁপি উঠিছিল। অনুৰণে গহীনকৈ সুধিলে,

"কোৱা অনুৰাধা। কি হৈছে?"

"অনুৰণ, জুৰিয়ে ফোনত কৈছে সন্ধ্যা হেনো কোনোবা ল'ৰা এটাৰ লগত বাইকত পলাই--"

অনুৰাধাৰ কৈ নহওঁতেই অনুৰণে ক'লে,

"পাগল হৈছে নেকি জুৰিহঁত? কি আল বাল বকিছে?"

কথাটো কৈয়ে সি চৰাইদেউৰ ফালে খোজ ল'লে। পিছে পিছে অনুৰাধাও।

চৰাইদেউত তেতিয়া হুলস্থুল। আগফালৰ বাৰাণ্ডাতে চিৰঞ্জীৱক পাই অনুৰণে সুধিলে,

Kaushik

"কি হৈছে এইবোৰ চিৰঞ্জীৱ? ক'লৈ গ'ল সন্ধ্যা?"

"নাজানোঁ অনুৰণ দা। আধাঘন্টা মানৰ আগত কোনোবা ল'ৰাক লগ কৰিবলৈ গৈছোঁ বুলি ওলাই গ'ল। এতিয়ালৈকে নাই। কোনোবাই হেনো বাইকত কোনোবা ল'ৰাৰ লগত ওলাই যোৱা দেখিছে।"

চিৰঞ্জীৱে প্ৰায় কন্দামুৱা হৈ ক'লে। ভিতৰত সন্ধ্যাৰ বিপক্ষে যতমানে বেয়া বেয়া কথাবোৰ শুনি সি যেন থাকিব পৰা নাছিল। অলপ পাছতে পাটকাইৰ পৰা জুৰিহঁত আহিও সেইখিনি পালেহি। মানুহে থূপ খাই পৰিছিল চৰাইদেউৰ চোতাল। চন্দ্ৰালীহঁতো আহি ওলাল। চবেই সন্ধ্যালৈ ফোন মাৰিছে। কিন্তু ৰিচিভ কৰা নাই। এনেতে অনুৰণে ক'লে,

"যদি কোনোবা ল'ৰাৰ লগত বাইকত গৈছে, তেন্তে মেইন গেটৰ ছিকিউৰিটী ডেস্কততো এন্ট্ৰী হৈ থাকিব ল'ৰাটোৰ নাম।"

Kaushik

লগে লগে চিৰঞ্জীৱ আৰু কোনোবা এটা চাইকেল লৈ মেইন গেটৰ ফালে গ'ল। অনুৰণৰ ধৈৰ্যই যেন বান্ধ ছিঙিছেহি লাহে লাহে। সাংঘাতিক কিবা বিপদ নহ'লে এনেকৈ গুছি যোৱা ছোৱালী সন্ধ্যা নহয়। বেলেগক নক'লেও অন্ততঃ তাকতো ক'লেহেঁতেন। কিন্তু এনে কি সমস্যা ওলাল যে অনুৰণক নোকোৱাকৈ তাই গুছি গ'ল। ফোনটোও উঠোৱা নাই। একো বুজি পোৱা নাছিল অনুৰণে। এনেতে অলপ পাছত চিৰঞ্জীৱহঁত ঘূৰি আহিল। জুৰিয়েই সুধিলে লগে লগে,

"পালা নে? কি নাম ল'ৰাটোৰ?"

চাইকেলৰ পৰা নামি চিৰঞ্জীৱে ক'লে,

"ময়ূঁৰ কৃষ্ণ বৰুৱা।"

"কি? ময়ূঁৰৰ লগত? তাৰ মানে ইমান দিনে ময়ূঁৰ আৰু সন্ধ্যাৰ--"

ভুনভুননি আৰম্ভ হৈ গৈছিল মানুহবোৰৰ মাজত। কোনোবাই ইঁহাৰ দৰেও কৰিছিল,

"ভাৰ্চিটী উইকৰ সুযোগ পাই ৰ'বই নোৱাৰিলে।"

কোনোবাই খঙত গালি পাৰিছিল,

"হোষ্টেলৰ মান সন্মান চব শেষ কৰিলে। অসভ্য চব।"

আনহাতে চন্দ্ৰালীহঁতৰ দৰে খুব কম সংখ্যকেহে "নিশ্চয় কিবা এটা সমস্যা হৈছে" বুলি চিন্তিত হৈছিল। সকলো যোৱাৰ পাছতো চৰাইদেউৰ আগফালে বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ ৰৈ থাকিল অনুৰণ।

মিছন নাৰ্চিংহোমৰ সমুখত ৰৈ ভৰি যেন নচলা হৈছিল সন্ধ্যাৰ। চকুৰ আগত ভাহি উঠিছিল ফাৰ্ষ্ট ছেমৰ দৃশ্যবোৰ। হাঁহি ধেমালিৰ সময়বোৰ। তাৰ মাজতেই যে এনে ষড়যন্ত্ৰ চলি আছিল তাই যে সপোনতো ভাবিব পৰা নাই। কি ভুল আছিলনো তাইৰ!

"ব'লা ভিতৰলৈ।" ময়ূঁৰে ক'লে। সন্ধ্যাৰ চকুত চকুপানী। ময়ূঁৰৰ হাতত ধৰিলে তাই। দুইটা ভিতৰ পালেগৈ। ৰিচেপচনিষ্টক সুধিলে গম পালে ৰোগী বৰ্তমান ইমাৰ্জেন্সী ৱাৰ্ডত। অলপ ৰ'ব লাগিব। এনেতে মানুহ এজন ওচৰ চাপি আহি সুধিলে,

"আপোনালোক সেই এক্সিডেন্ট কেচটোত আহিছে নেকি? ফোন যে কৰিছিলোঁ।"

"অঁ হয়।"

সন্ধ্যাই কোৱাৰ লগে লগে তেওঁ সন্ধ্যাৰ হাতত মোবাইল এটা, আৰু সৰু ভেনিটী বেগ এটা তুলি দিলে।

"আপোনাক বহুত ধন্যবাদ।" ময়ূঁৰে ক'লে।

"একো নাই। এই কেইটা তেওঁৰে। কোনো অহা নাছিল বাবে মই লৈ আছিলোঁ। এতিয়া আহোঁ দিয়া।"

কথাটো কৈ মানুহজন ওলাই গ'ল। অলপ সময় ৱেটিং ৰুমতে বহি ৰ'ল ময়ূঁৰ আৰু সন্ধ্যা। কাৰো মুখত মাত নাই। এটা ভয়াৱহ নীৰৱতাই ঘেৰিছিল কোঠাটো। কিছু সময়ৰ পাছত কঁপা কঁপা মাতেৰে সন্ধ্যাই ক'লে,

"তুমি এইবোৰ কেনেকৈ জানিলা ময়ূঁৰ?"

ময়ূঁৰে দীঘলকৈ উশাহ এটা লৈ লাহে লাহে ক'বলৈ ধৰিলে,

"মনত পেলোৱা চোন, তোমাক ৰুমত লক কৰাৰ সময়ত হোষ্টেলত চিনাকি ছোৱালী কোন কোন আছিল?"

"প্ৰিয়া, জুৰি, নিমিষা আৰু পৰী।"

Kaushik

"তোমাৰ গগণাটো ভঙাৰ সময়ত কোন কোন অহাৰ কথা আছিল তোমাৰ ৰুমলৈ?"

"নিমিষা, পৰী আৰু প্ৰিয়া।"

"মোৰ ওচৰত তোমাৰ লেপটপ আছে বুলি কোনে কোনে জানিছিল?"

"সীমা, জুৰি আৰু প্ৰিয়া।"

"অভিৰ লগত ৰিলেছনত থাকোঁতে তুমি ঘৰত ৰাস নাচিবলৈ যাবা বুলি কোনে জানিছিল? আৰু তোমাৰ দেউতাৰ ফোন নম্বৰ কাৰ তাত দি থৈছিলা?"

"দেউতাৰ ফোন নম্বৰটো প্ৰথম চিনাকি হোৱাৰ বাবে মই---"

"প্ৰিয়া গগৈৰ এটেণ্ডেণ্ট আপোনালোক নে?"

সন্ধ্যাৰ কৈ নহওঁতেই নাৰ্চ গৰাকীয়ে আহি ক'লেহি। সন্ধ্যাহঁত থিয় হোৱাত ক'লে,

"তেওঁৰ চেঞ্চ আহিছে। লগ কৰিব পাৰিব। কেবিনলৈ উলিয়াই দিয়া হৈছে।"

কথাটো কৈ নাৰ্চগৰাকী গুছি গ'ল। সন্ধ্যাৰ চকু আকৌ ভৰি পৰিল পানীৰে। প্ৰিয়া, যাৰ লগত সন্ধ্যা প্ৰথম চিনাকি হৈছিল ডিপাৰ্টমেণ্টত আহি। যাৰ বেমাৰত বৰষুণত তিতি তিতিও সন্ধ্যাই ঔষধ আনিবলৈ গৈছিল। কিবা এটা লাগিলেই প্ৰিয়াক নিনিয়াকৈ তাই নাযায়। প্ৰিয়াইও সকলোতে সন্ধ্যাক বিচাৰে। ঘৰৰ পৰা কিবা এটা আনিলেও তাই প্ৰিয়াক নিদিয়াকৈ নাখায়। তাৰ পাছতো? কিয়? কিয় এনেকুৱা মানুহবোৰ? যিমান মৰম দিলেও কিয় পদাঘাত কৰে সেই মৰমখিনিত? নিজলৈকে পুতৌ লাগিছিল সন্ধ্যাৰ। ইমান মূৰ্খ নে তাই? যে কোনোবাই পুতলাৰ দৰে খেলি আছিল তাইৰ লগত আৰু তাই গমেই নাপালে।

ময়ূঁৰৰ লগত এখোজ দুখোজকৈ কেবিনটোলৈ সোমাই গ'ল সন্ধ্যা। মূৰত বেণ্ডেজ লৈ বিচনাত পৰি আছে প্ৰিয়া। চকুত বৈ থকা চকুপানী। গালত আচোঁৰ। পিন্ধি থকা স্পৰ্টিংটো হাতটো আধা ফলা। দেখিলেই গম পাই কাৰোবাৰ অকথ্য নিৰ্যাতন পাই আহিছে। সন্ধ্যা তাইৰ মূৰৰ শিতানতে বহিল। আলফুলে মূৰত হাত ফুৰালে,

"প্ৰিয়া"

প্ৰিয়াই চকু মেলিলে। চকুৰ কাজলবোৰ ক'লা হৈ বৈ আহিছে তাইৰ। ওঁঠখনতো তেজ বিৰিঙি আছে। সেহাই সেহাই কৈছে প্ৰিয়াই,

Kaushik

"তই কিয় আহিলি? মই মৰি থকা হ'লেই ভাল আছিল অ' সন্ধ্যা।"

"চুপ, এইবোৰ ক'ব নাপায়।"

সন্ধ্যাই তাইৰ বৈ থকা চকুপানী মচি দি কৈছিল। প্ৰিয়াই ফেঁকুৰি উঠিল,

"ক'বলৈ দে মোক সন্ধ্যা। আজি চব ক'ম মই। তই জাননে, তোৰ লগত ইমান দিনে বেয়া বেয়া যি হৈ আছিল সেইবোৰ চব যে---"

"তই কৰিছিলি। জানো মই।"

প্ৰিয়াৰ কৈ নহওঁতেই সন্ধ্যাই ক'লে। আশ্বৰ্যত চকু ডাঙৰ হৈ গৈছিল প্ৰিয়াৰ। সন্ধ্যাই আকৌ ক'লে,

"তোৰ খবৰটো পোৱাৰ আগতেই মোক ময়ূঁৰে সকলো ক'লে।"

"তেন্তে সেইবোৰ গম পাইও তই আহিছ সন্ধ্যা?"

প্ৰিয়া মূৰত হাত ফুৰাই সন্ধ্যাই ক'লে,

"কি কৰিম? ভাল পাওঁ যে তইঁতক। তইঁতৰ নিচিনাকৈ বেয়া পাবলৈ নিশিকিলোঁ যে।"

প্ৰিয়াই হুকহুকাই কান্দি উঠিল। সন্ধ্যাই সাৱটি ধৰিলে তাইক। সন্ধ্যাৰ কোলাত মূৰ গুজি শব্দ কৰি কান্দি থাকিল প্ৰিয়াই বহু সময়।

লাহে লাহে শান্ত হৈছিল প্ৰিয়া। ময়ূঁৰে তলৰ দোকানৰ পৰা পানীৰ বটল এটা আনি দিলে। সন্ধ্যাই খোৱাই দিলে প্ৰিয়াক। পানী খাই অলপ সময় শান্ত হৈ বহিল তাই। সন্ধ্যাই মৰমেৰে সুধিলে,

"তোৰ মনত আছে নে, ইউনিভাৰ্চিটীত আহি প্ৰথম মই তোৰ লগতে চিনাকি হৈছিলোঁ। সেই যে আমাৰ পুৰণা ডিপাৰ্টমেন্টৰ সমুখত মই থিয় হৈ আছিলোঁ। তই যে সুধিছিলি তুমিও Integratedৰ নেকি? তেতিয়াৰ পৰাই প্ৰিয়া, সকলোতে মই আৰু তই। ক্লাছতে একেলগে বহাৰ পৰা একেলগে ফুৰিবলৈ যোৱালৈকে। তাৰ পাছতো মোৰ কি এনে ভুল হৈ গ'ল প্ৰিয়া, যে তই এনেকৈ---"

সন্ধ্যাৰ কথাৰ মাজতে প্ৰিয়াই ক'লে,

"ভুল তোৰ নহয় সন্ধ্যা। ভুল মোৰ। আচলতে ভুলো নহয়, পাপ। চকুত ক'লা কাপোৰ বন্ধা আছিল মোৰ। কোন ভাল কোন বেয়া একো নেদেখা হৈছিলোঁ। নিজৰ

Kaushik

জীৱনটো আনৰ হাতত গতাই দিলোঁ। নিজক আনৰ মতে চলাবলৈ দিলোঁ। আৰু তাৰ ফলতে তোৰ লগত এটাৰ পাছত আন এটা অন্যায় কৰি গৈ থাকিলোঁ।"

প্ৰিয়াৰ কথাত আচৰিত হৈছিল সন্ধ্যা আৰু ময়ূঁৰ। ময়ূঁৰে লগে লগে সুধিলে,

"তাৰ মানে তুমি এইবোৰ আন কাৰোবাৰ কথা শুনি কৰি আছিলা?"

সন্ধ্যাইও সুধিলে,

"কোন আছিল প্ৰিয়া?"

মুখখন লাহে লাহে কঠিন হৈ আহিছিল প্ৰিয়াৰ। যেন খুব ঘৃণনীয়া কথা এটা ক'বলৈ লৈছে। তেনে এটা ভাৱত তাই ক'লে,

"কৌশিক"

সন্ধ্যা আৰু ময়ূঁৰে একেলগে চিঞৰি উঠিল,

"কৌশিক?"

"অঁ কৌশিক। তহঁত কোনেও গম নাপাঁৱ। আচলতে কৌশিক মোৰ বয়ফ্ৰেণ্ড। আমি তেজপুৰলৈ অহাৰ আগৰ পৰাই ৰিলেশ্যনছিপত আছোঁ।"

"কি?" চিঞৰি দিছিল সন্ধ্যাই। কঁপি গৈছে তাই। কৌশিক প্ৰিয়াৰ প্ৰেমিক? সেইটো কৌশিক, যি সন্ধ্যাৰ আকলুৱা মনটো কলিতে মোহাৰিব লৈছিল? তেনেকুৱা এটা ল'ৰাক ভাল পাই প্ৰিয়াই? প্ৰেম ইমান বিষাক্তও থাকে নে? প্ৰিয়াই লাহে লাহে কৈ গৈছে,

"অঁ, কৌশিক আৰু মই হায়াৰ চেকেণ্ডেৰী একেখন কলেজত পঢ়া। তেতিয়াৰ পৰাই আমি ৰিলেশ্যনত। ইয়াত এণ্ট্ৰেন্সো দুইটাই একেলগে দিছিলোঁ আৰু ছিটো পালোঁ। কিন্তু কৌশিকে এই কথাটো মোক কাকো ক'বলৈ মানা কৰিছিল। কাৰোবাৰ আগত উলিয়ালেই সি মোক এৰি দিব বুলিও কৈছিল। তাৰ প্ৰেমত অন্ধ হৈ মই এটাৰ পাছত এটা তাৰ কথা মানি গৈছিলোঁ।"

ময়ূঁৰে সুধিলে,

"কিন্তু সন্ধ্যাৰ লগত কৌশিকৰ কি শত্ৰুতা? ইমানবোৰ ছোৱালীৰ মাজত সন্ধ্যাক কিয় বাছি ল'লে সি?"

Kaushik

প্ৰিয়া সন্ধ্যালৈ চাই ক'লে,

"সন্ধ্যা, কৌশিকৰ আচল ঘৰ বিশ্বনাথ চাৰিআলিত। তোৰ লগত একেখন স্কুলতে পঢ়া সি। আমাতকৈ এবছৰ ডাঙৰ। সেয়ে তোতকৈ এটা শ্ৰেণী ওপৰৰ আছিল। তোৰ মনত পৰিছে নে, সেই ক্লাছ ছেভেনৰ ঘটনাটো?"

প্ৰিয়াৰ কথাত জঠৰ হৈ গ'ল সন্ধ্যা। মনত ভাহি উঠিল ধুঁৱলী কুঁৱলীকৈ এখন স্কুলৰ ছবি। সন্ধ্যা উভতি গৈছিল প্ৰায় দহ বছৰ আগলৈ।

এখন প্ৰাইভেট স্কুল। ল'ৰা ছোৱালী সকলোৱে পঢ়ে। সন্ধ্যা এইখন স্কুলৰ পুৰণি ছাত্ৰী। অংকুৰ প্ৰাক প্ৰাথমিকৰ পৰাই তাই ইয়াত পঢ়ি আছে। এইবাৰ সপ্তম শ্ৰেণীলৈ উঠিছে। সৰুৰে পৰাই পঢ়া শুনাত চোকা সন্ধ্যাক লৈ স্কুলৰ ছাৰ বাইদেউৰো খুব আশা। অকল পঢ়াতেই নহয়, নাচ গানতো আগৰণুৱা সন্ধ্যা। বাৰ্ষিক খেল ধেমালিত মৌকুঁৱৰী প্ৰতিযোগিতাত তাই হয় প্ৰথম নহয় দ্বিতীয় স্থানত থাকেই। লগতে ৰাভা সংগীত, জ্যোতি সংগীত আদিতো সন্ধ্যাৰ দখল। স্কুলৰ শিল্পী দিৱসৰ পৰা আদি কৰি সকলো অনুষ্ঠানতে সন্ধ্যা নহ'লে নচলেই। প্ৰধান শিক্ষয়িত্ৰী বাইদেউৰ পৰা আৰম্ভ কৰি স্কুলৰ বেল মৰা দাদাজনলৈকে সকলোৰে নয়নৰ মণি সন্ধ্যা। প্ৰধান শিক্ষয়িত্ৰী বাইদেৱেতো তাইক "ৰুণজুন" বুলিয়েই মাতে। সঁচাই স্কুলখন সন্ধ্যাৰ বাবে দ্বিতীয় ঘৰ।

সকলো ঠিকেই চলি আছিল তেনেকুৱাতে আহিছিল সেই দিনটো। সেইদিনা স্কুলৰ প্ৰতিষ্ঠা দিৱস। সন্ধ্যাহঁতৰ লগৰ দুজনী মানে দলীয় নৃত্য কৰিব। যোৱা এক সপ্তাহৰ পৰা সিহঁতে জিৰণিৰ সময়ত প্ৰেকটিছো কৰি আছে,

"নিচলা আইৰে

নিচলা আইৰে

আমি খাটি অসমীয়া

অসমী আইৰে আমি ছোৱালী ধুনীয়া

ধৰণী সজাই তোলা অতি মোহনীয়া"

গীতটো সন্ধ্যায়েই বাছনি কৰা। নাচটোও তাইয়ে শিকাইছে লগৰ কেইজনীক। বাইদেউ সকলেও খুব ভাল পাইছে। খুব আগ্ৰহেৰে প্ৰেকটিছ কৰিছে সন্ধ্যাহঁতে।

Kaushik

প্ৰতিষ্ঠা দিৱসৰ দিনা সোনকালেই স্কুল পালেহি সন্ধ্যা। তাই যিহেতু আৰম্ভণিৰ সমবেত সংগীতটোও গাব গতিকে প্ৰথমে স্কুলৰ ইউনিফৰ্ম পিন্ধিয়েই আহিল। সমবেত সংগীতটো গাই হ'লে স্কুলৰ ক্লাছৰুমতে সলাই ল'ব পাৰিব। বেগতে তাই মাকৰ মুগা চাদৰ মেখেলা যোৰ লৈ আহিছে।

স্কুলখনৰ পিছফালে থকা বহলকৈ চোতালৰ দৰে ঠাইখিনিতে ৰভা দি আয়োজন কৰা হৈছে অনুষ্ঠানৰ। প্ৰথমেই সমবেত সংগীতটো গালে সিহঁতে বৰ ধুনীয়াকৈ,

"মোৰে ভাৰতৰে

মোৰে সপোনৰে

চিৰসুন্দৰ সংস্কৃতি...."

সেইখিনিলৈকে সকলো ঠিকেই গৈ আছিল। গীতটো গাই সন্ধ্যা সিহঁতৰ ক্লাছৰুম পালেহি। তাই আৰু তাইৰ লগৰ মঞ্জুয়ে ৰুমটোত সোমাই কাপোৰ সাজ সলাবলৈ লাগিল। স্কুলৰ সকলো ল'ৰা ছোৱালী অনুষ্ঠানতে আছে। গতিকে খুব সহজেই দৰ্জাখনত হুকটো মাৰি চিন্তাহীন ভাৱে কাপোৰ পিন্ধিছিল সন্ধ্যাই। মঞ্জুৱে চাদৰখন জাঁপি আছিল বেঞ্চ এখনত। সন্ধ্যাই মেখেলা খন পিন্ধি লৈছিলহে। এনেতে হঠাৎ সন্ধ্যাৰ চকু গৈছিল ৰুমটোৰ ভেন্টিলেচন খনলৈ। লগে লগে দেখা পালে এখন ল'ৰাৰ মুখ। এক অশ্লীল চাঁৱনিৰে চাই আছে তাইৰ উদং বুকুখনলৈ। বুকুখন চিৰিংকৈ গ'ল সন্ধ্যাৰ। লাজ আৰু ভয়ত প্ৰাণকাতৰ চিঞৰ মাৰি দিছিল সন্ধ্যাই। বাহিৰত বিশিষ্ট অতিথিৰ ভাষণ চলি আছিল। সন্ধ্যাহঁতৰ ৰুমটো পিছফালে থকাৰ বাবে তাইৰ চিঞৰটো সেইখিনিলৈকে গৈছিল। লগে লগেই প্ৰধান শিক্ষয়িত্ৰী বাইদেউকে ধৰি এজন এজনকৈ গোটেইবোৰ সোমাই আহিছিল ভিতৰলৈ। মঞ্জুৱে ততাতৈয়াকৈ চাদৰখনেৰে সন্ধ্যাৰ উদং গাটো ঢাকি দিছিল। অপ্ৰত্যাশিত ঘটনাটোত কঁপি কঁপি উচুপি আছিল সন্ধ্যাই। প্ৰধান শিক্ষয়িত্ৰী বাইদেউক ঘটনাটো মঞ্জুৱে বিৱৰি কৈছিল। লগে লগে স্কুলৰ গোটেই কেইটা ল'ৰাক মাতি আনি থিয় কৰাইছিল তেখেতে। প্ৰাইভেট স্কুল যিহেতু বেছি ল'ৰা নাছিলেই। তাতে সেইদিনা বহুত অহাও নাছিল। কিন্তু সেই ল'ৰাবোৰৰ মাজত সন্ধ্যাক লুকাই লুকাই চাই থকা ল'ৰাটো নাছিল। সন্ধ্যাই মূৰ জোকাৰিছিল নাই বুলি। বাইদেৱে পুনৰ অনুষ্ঠান আৰম্ভ কৰিব লাগে বুলি ঘোষণা কৰোঁতেই ইফালৰ পৰা স্কুলৰ চকীদাৰ ৰত্ন দাই ল'ৰা এটাক হাতত ধৰি চোঁচৰাই আনিছিল,

"বাইদেউ, ইয়াক চাওঁক। ৱাল পাৰ হৈ পলাবলৈ ধৰিছিল ই। ধৰি আনিছোঁ।"

kaushik

বাইদেৱে সন্ধ্যালৈ চাইছিল। সন্ধ্যাই চিনি পাইছিল ল'ৰাটোক। তাই মূৰ দুপিয়াইছিল। লগে লগে বাইদেউৰ কাণতলীয়া চৰ পৰিছিল ল'ৰাটোৰ গালত। তাৰ পাছত অংকৰ শিক্ষক হেমন্ত ছাৰে এচাৰিৰে পিঠি ফালি যোৱাকৈ পিটন দিছিল তাক। কিন্তু প্ৰধান শিক্ষয়িত্ৰী বাইদেৱে ইমানতে ক্ষান্ত থকা নাছিল। পৰীক্ষাত নকল কৰা, লগৰ ল'ৰাৰ লগত মাৰ পিট, ছোৱালীৰ অশ্লীল ইংগিতকে আদি কৰি বহু কেইটা অপৰাধ ইতিমধ্যে ক্ষমা কৰিছিল ল'ৰাটোৰ। সেয়ে এইবাৰ তেখেতে ক্ষমা নকৰি ল'ৰাটোৰ মাক দেউতাকক মাতি আনি স্কুলৰ পৰা বৰ্খাস্ত কৰিছিল। মাকে হাতে ভৰিয়ে ধৰিও মনাব পৰা নাছিল বাইদেউক। অৱশেষত ল'ৰাটো স্কুলৰ পৰা ওলাই গৈছিল। পিছত সন্ধ্যাই শুনিছিল ল'ৰাটো বোলে মোমায়েকৰ ঘৰত থাকি পঢ়িবলৈ গুছি গ'ল। এবছৰ ক্ষতিও হ'ল বোলে তাৰ। বহুদিনৰ পাছতহে তাই গম পাইছিল ল'ৰাটো নাম "কৌশিক।"

ক্লাছ চেভেনৰ সেই ঘটনাটোৰ আজি দহ বছৰৰো ওপৰ হ'ল। ছাৰ বাইদেউৰ তথা ঘৰৰ মানুহৰ মৰমত সন্ধ্যাই লাহে লাহে বেয়া সপোনৰ দৰে পাহৰি পেলাইছিল সেই দিনটো। আনকি ল'ৰাটোৰ নামটোও মচ খাইছিল স্মৃতিৰ পটৰ পৰা। কিন্তু আজি ইমান দিনৰ মূৰত সেই দিনটো আকৌ ঘূৰি আহিল সন্ধ্যাৰ কাষলৈ। জড় পদাৰ্থৰ দৰে জঠৰ হৈ ৰোৱা সন্ধ্যাৰ বাহুত হাত থৈ প্ৰিয়াই ক'লে,

"কৌশিকে সেই কথাটো পাহৰি যোৱা নাছিল। ক্লাছত তোক প্ৰথম দিনা দেখাৰ পাছতে মোক কৈছিল তোৰ লগত এটা খুব ভাল সম্পৰ্ক গঢ়িবলৈ যাতে মই তোক আঘাত কৰিব পৰাকৈ ওচৰ চাপিব পাৰোঁ।"

বাকৰুদ্ধ সন্ধ্যা। মনত কিমান ঘৃণা থাকিলে দহ বছৰ এটা কথা মনত লৈ ফুৰিব পাৰে। মনটো কিমান ভয়ংকৰ হ'লে প্ৰতিশোধৰ জলন্ত শিখা স্কুলৰ পৰা ইউনিভাৰ্চিটীলৈকে কঢ়িয়াব পাৰে সন্ধ্যাই ভাবিবও নোৱাৰে। প্ৰিয়াই কৈ গৈছে,

"তেতিয়াৰ পৰাই কৌশিকে মোক এটাৰ পাছত এটাকৈ কামত লগাই আহিছে। প্ৰথমে মোৰ পৰা তোৰ নম্বৰটো লৈ মেচেজ কৰিলে। তই যে ক'ত কি কৰ চব খবৰ সি পাই, সেয়া মইয়ে দিছিলোঁ তাক। সেই যে আমি লাইব্ৰেৰীত কফি খাওঁতে তোক সি মেচেজ দিছিল গৰম হৈ আছে বেবী। তই যে থিয় হৈ চাইছিলি, মইয়ে কোৱা তাক। অনুৰণ আৰু তোৰ ফটো উঠাই মইয়ে দিছিলোঁ লগতে তোৰ দেউতাৰ নম্বৰটো। নিমিষাহঁতক ৰুমত থৈ বাথৰুমৰ পৰা আহোঁ বুলি তোক দুৱাৰত লক মইয়ে

Kaushik

কৰিছিলোঁ। একেদৰেই তোৰ গগণাও ভাঙিছিলোঁ। ময়ূঁৰে নিয়া তোৰ লেপটপটোৰ পৰা এচাইনমেণ্ট ডিলিট কৰাজনীও মইয়ে। অংকুৰক পথী সোৱণশিৰীত আছে বুলিও মইয়ে কৈছিলোঁ। সি কৌশিকৰ ফ্ৰেণ্ড আছিল। মৃদুলক তই ৰাসলৈ যোৱাৰ খবৰটোও মই দিছিলোঁ। সকলো তাৰ কথাত। কিন্তু একোৰে তোক ক্ষতি কৰিব নোৱাৰি শেষত তোক অকলশৰীয়া কৰি পেলোৱাৰ বুদ্ধি কৰিলে কৌশিকে। কথামতেই মই সকলোকে তোৰ পৰা আঁতৰ কৰিলোঁ। জুৰিহঁতৰ প্ৰিফেক্টক মইয়ে ক'লোগৈ যে জুৰিয়ে নিজৰ গগণা তোক দিছিল। কাৰণ জুৰিৰ মূৰত তই নাচি থাকোঁতে গগণা নাছিল। আৰু জুৰিয়ে নচাৰ সময়ত তোৰ খোপাও খালী হৈ আছিল। সেই কথাটো ওলাই যোৱাৰ পৰা জুৰিয়ে তোক বেয়া পাবলৈ ল'লে। তোৰ কোমল মনটোক মই থেকেচি থেকেচি ভাঙি পেলালোঁ সন্ধ্যা। কিন্তু ইমানৰ পাছতো তই সদায় নতুন সাহসেৰে থিয় দি আছিলি। আৰু মই, মই আজি উঠিব নোৱাৰাকৈ ভাঙি গ'লো।"

কথাখিনি কৈ আকৌ কান্দোনত ভাঙি পৰিছিল প্ৰিয়া। মুখেৰে টু শব্দ এটাও ওলোৱা নাই সন্ধ্যাৰ। কি ক'ব তাই। কি বুজাব তাই? ইমান বেয়া হ'ব পাৰে নে মানুহৰ মন! বিশ্বাস হেৰাইছে তাইৰ মানুহ শব্দটোৰ ওপৰত। অলপ সময় ৰৈ প্ৰিয়াই আকৌ ক'লে,

"আজি কৌশিকৰ জন্মদিন। মোকো মাতিলে, টাউনত তাৰ লগৰ কোনোবা এটাৰ ভাৰা ৰুমত পাৰ্টী। একো নভবাকৈ মই হোষ্টেলৰ পৰা দুদিনৰ ছুটী লৈ গুছি আহিলোঁ। কিন্তু কৌশিকহঁতৰ চকু আছিল মোৰ কেঁচা মঙহত। মদ খাই মাতাল হৈ সিহঁতে মোক জবৰদস্তি কৰিছিল। যিটো ল'ৰাৰ কাৰণে মই ইমান বেয়া কাম কৰিলোঁ, সিয়েই মোক এজাক অসুৰৰ মাজত এৰি দিছিল। বহুত টনা আজুৰাৰ শেষত মদৰ বটল এটা ভাঙি লৈ সেইটোৰে এটাৰ মূৰত মাৰি মই পলাই আহিলোঁ। আৰু আহি ৰাস্তাতেই গাড়ীখনে খুন্দিয়ালে মোক। আচলতে এইবোৰ মোৰ জোখাৰেই হৈছে। ইয়াতকৈও বেছি বেয়া হ'ব লাগিছিল মোৰ।"

কথাখিনি কৈ ভাগৰ লগাৰ দৰে ফোঁপাইছিল প্ৰিয়াই।

এইবাৰ ময়ূঁৰে ক'লে,

"মোক কথাখিনি মৃদুলেই ক'লে। আজি কৌশিকৰ জন্মদিনৰ পাৰ্টীত তাকো মাতিছিল হেনো। সি যাব নোৱাৰিলে কিবা কাৰণত। কিন্তু এজনী ছোৱালীৰ এনেকুৱা অৱস্থা হ'ব লগা কথাটো সি মানি ল'ব নোৱাৰিলে আৰু আহি মোক কথাখিনি ক'লেহি।

Kaushik

তেতিয়ালৈ বহুত দেৰি হৈ গৈছিল। মই প্ৰিয়ালৈ ফোন মাৰিছিলোঁ যদিও একো ৰেচপন্স নাই। শেষত কথাখিনি সন্ধ্যাক কৈ থাকোঁতেই ফোনটো আহিছিল।"

হয়, প্ৰিয়া ক'ত গ'ল নজনাৰ বাবে সন্ধ্যাইও ফোন কৰিছিল। কিন্তু উত্তৰ নাই। হয়তো তাইৰ মিছকল পাইয়ে অচিনাকী মানুহজনে তাইলৈকে কৰিলে ফোন।

প্ৰিয়াই নামি আহি সন্ধ্যাৰ ভৰি দুটাত ধৰি ফেঁকুৰি ক'লে,

"মই তোৰ লগত যি কৰিলোঁ, তাৰ ক্ষমা খোজাৰো যোগ্যতা মোৰ নাই সন্ধ্যা। পাৰিলে মোক এনেকুৱা শাস্তি দে যাতে সেয়া চাই বেলেগেও শিক্ষা লয়।"

সন্ধ্যাই তাইক বাহুত ধৰি উঠাই দিলে,

"উঠ। মই বুজি পাইছোঁ। প্ৰেমত অন্ধ হয় মানুহ। কিন্তু তোৰ সেইটো প্ৰেম নাছিলেই। এখন নেদেখা জালত ভৰি থৈছিলি তই। কিন্তু বুজিলি যে সেয়াও বহুত। এতিয়াৰ পৰা এটা নতুন জীৱন আৰম্ভ কৰ।"

"কেনেকৈ কৰোঁ সন্ধ্যা। অলৰেডি বদনামী হ'লোৱেই মই। কৌশিকৰ পৰা নিজৰ শৰীৰটো বচালোঁ ঠিকেই, কিন্তু বদনামৰ পৰা কেনেকৈ বচাম? কেনেকৈ উভতি যাম হোষ্টেললৈ?"

প্ৰিয়াই আকৌ কান্দি উঠিল জোৰেৰে। সন্ধ্যা থিয় হ'ল,

"ৰ, নাকান্দিবি। একো নহয়। কোনেও একো গম নাপায়। হোষ্টেলৰ পৰাতো ঘৰ যাবি বুলি দুদিনৰ ছুটী লোৱাই আছে। তোৰ থকা ব্যৱস্থা মই কৰি আছোঁ।"

কথাটো কৈ সন্ধ্যাই কাৰোবালৈ ফোন লগালে,

"হেল্লো, মামন বা। বা, যদি পাৰা অলপ ওলাই আহিব পাৰিবা নেকি? মই মিছন নাৰ্চিংহোমত আছোঁ।"

ফোনট থৈ তাই ক'লে,

"মোৰ সম্পৰ্কীয় বৰতাৰ ছোৱালী এজনী ইয়াৰ ওচৰতে থাকে। তোক দুদিন মান তাইৰ ঘৰতে ৰাখিব পাৰিম। একেবাৰে ভাল হৈহে হোষ্টেল আহিবি। কোনোবাই সুধিলে ঘৰত অসুবিধা বুলি কৈ দিবি।"

প্ৰিয়াই সাৱটি ধৰিছিল সন্ধ্যাক,

Kaushik

"তই এইখন পৃথিৱীৰ মানুহ নহয় সন্ধ্যা। তই কোনোবা স্বৰ্গৰ দেৱী। মোৰ দৰে ছোৱালী এজনীকো তই।"

আৰু একো ক'ব নোৱাৰিলে তাই। কেৱল কান্দোন হে সৰিছিল। সন্ধ্যাই মৰমেৰে হাত বুলাইছিল,

"সকলো ঠিক হৈ যাব। ঠিক হোৱাৰ পাছত আমি কৌশিকক শাস্তি দিয়ামেই। এতিয়া তই সুস্থ হ প্ৰথমতে।"

অলপ পাছতে সন্ধ্যাৰ বায়েক আহি পালে। সন্ধ্যাৰ পৰা কথাবোৰ গম পাই বায়েকে প্ৰিয়াক লগত ৰাখিবলৈ সাজু হোৱাই নহয়, তাইৰ খৰছ পাতিও দিম বুলি ক'লে। অলপ পাছতে নাৰ্চিংহোমৰ সকলো ফৰ্মেলিটিজ পূৰ কৰি মামন বায়েকে প্ৰিয়াক তেওঁৰ ঘৰলৈ লৈ গ'ল। যোৱাৰ পৰত সন্ধ্যাৰ তাইৰ মূৰত হাত ফুৰাই ক'লে,

"মই থকালৈকে তোৰ একো বদনাম ওলাবলৈ নিদিওঁ।"

প্ৰিয়াক পঠিয়াই সন্ধ্যা আৰু ময়ূঁৰ যেতিয়া ইউনিভাৰ্চিটীলৈ উভতি আহিছে, বেলিটোৱে ওলাবলৈ যোঁ জা চলাইছে তেতিয়া। পোহৰ পোহৰ ভাৱ এটা বিয়পিছে চৌহদটোত। চৰাইবোৰৰ কিচিৰ কিচিৰ মাতটোত সন্ধ্যাহঁতে উমান পোৱা নাছিল আহিবলগা ভয়ংকৰ ধুমুহাজাকৰ তাণ্ডৱৰ বতৰা।

ষ্টেণ্ডত বাইকখন থৈ ময়ূঁৰ আৰু সন্ধ্যা খোজ কাঢ়ি আহি আছিল। এনেতে ময়ূঁৰে সুধিলে,

"কেনেকৈ ইমান ভাল পাব পাৰা মানুহক তুমি?"

"মানুহক ভগৱানে ভাল পাবলৈকেতো বনাইছে। হিংসা, খং এইবোৰ আমিহে সৃষ্টি কৰি লৈছোঁ।"

ময়ূঁৰে মিচিকিয়াইছিল সন্ধ্যাৰ উত্তৰত। পাটকাই পোৱাত তাই ক'লে,

"তুমি যোৱা। গোটেই ৰাতি টোপনি খতি। মই এইকণ যাব পাৰিম। মাত্ৰ ময়ূঁৰ, লাগিলে যিয়েই নহওঁক প্ৰিয়াৰ কথাটো যেন ভুলতো নোলাই। মোৰ শপত তোমাক।"

"চিন্তা নকৰিবা। মই নকওঁ কাকো।" বুলি ময়ূঁৰ পাটকাইলৈ সোমাল।

Kaushik

সোৱণশিৰীৰ গেটখন খুলি সোমাই আহিছে সন্ধ্যা। ভয়ে ভয়ে এবাৰ হোষ্টেলটোলৈ চাইছে তাই। এটা ৰাতি বাহিৰত থাকি অহাৰ পাছত কি হ'ব বাৰু তাইৰ অৱস্থা। হঠাৎ কি হ'ল তলকিব নোৱাৰিলে সন্ধ্যাই। সমুখৰ পৰা বতাহৰ গতিত কোনোবা আহি গাৰ জোৰেৰে এটা প্ৰচণ্ড চৰ বহাই দিলে তাইৰ গালত। গোটেই ৰাতি টোপনি খতি কৰা দুৰ্বল সন্ধ্যা ঘপকৈ হোৱা আক্ৰমণত থিৰেৰে থাকিব নোৱাৰি মাটিত বাগৰি পৰিল। চৰৰ আঘাতত ওঁঠৰ চুকটোৰে তেজ বিৰিঙি আহিল সন্ধ্যাৰ। মূৰটো উঠাই তাই দেখে চকুত ৰঙা অঙঠা লৈ সমুখত থিয় হৈ আছে তাইৰ দেউতাক।

(আগলৈ)

#নিৰিবিলি

Part 121

"সৰুৰে পৰা ইমান মৰমেৰে তুলিলোঁ। কেতিয়াও একো এটা কথাত গালি ধমকি দি নাপালোঁ। যি লাগে তাকেই দিওঁ, তাৰ পাছতো আমাৰ বুকুত এই মৰ কামোৰটো কিয় মাৰিলি তই?"

দেউতাকৰ গৰ্জনত কঁপি উঠিছে সোৱণশিৰীৰ বিল্ডিংটো। খিৰিকীবোৰ খুলি এখন দুখনকৈ মুখে ভুমুকি মাৰিছে তললৈ। ৰ'দজাকো যেন ওলাবলৈ ভয় কৰিছে আজি। পৰি যোৱাৰ পৰা উঠিবলৈ পাহৰি গৈছে সন্ধ্যাই। জীৱনত এই প্ৰথম বাৰ দেউতাকে হাত তুলিছে তাইৰ ওপৰত। ভুল দেউতাকৰ নহয়, ভুল তাইৰহে। কিন্তু তাইও যে নিৰূপায়। ভিতৰৰ পৰা এজন এজনকৈ ওলাই আহিছে ৱাৰ্ডেন, লোকেল গাৰ্জেন, প্ৰিফেক্ট আৰু সন্ধ্যাৰ মাক। ৱাৰ্ডেন জুপিতৰা মেমে সন্ধ্যাক ধৰি উঠাই দিলে মৰমেৰে। তাৰ পাছত দেউতাকক ক'লে,

"ৰ'বচোন। আগতে তাইক সুধিতো লওঁক, ৰাতিটো কিয়--"

তেওঁৰ কৈ নহ'লেই, সন্ধ্যাৰ মাকে আহি তাইৰ চুলি কেইডাল ঘটালি দিলেহি,

"সুধিবলৈ আৰু কি আছে এইক? এই জীয়াই জীয়াই মাৰি পেলালে আমাক। তই উভতি কিয় আহিলি ঐ? কাক মুখ দেখুৱাবলৈ আহিলি তই?"

খঙত তেওঁৰ মাতটোও কন্দামুৱা হৈ ওলাইছে। মাক দেউতাকক ৰখাব নোৱাৰি শেষত জুপিতৰা মেমে অলপ টানকৈয়ে ক'লে,

"চাওঁক, এইখন ঘৰ নহয়। গতিকে অলপ শালীনতা বজাই ব্যৱহাৰ কৰক। ছোৱালীজনীক ক'বলৈ দিয়ক তাইৰ কি হৈছে। সন্ধ্যা, ভিতৰলৈ ব'লা।"

কথাটো কৈ মেমে সন্ধ্যাক ভিতৰলৈ তাইৰ ৰুমটোলৈকে লৈ গ'ল। ৰুমত সোমাই তাইক পানী অকণ খোৱালে। তাৰ পাছত মৰমেৰে মেমে সুধিলে,

"এতিয়া কোৱা চোন সন্ধ্যা। কি হৈছিল ৰাতি? এনেকৈ কিয় গুছি গ'লা তুমি?"

শিল হৈ বহি আছে সন্ধ্যা। কি ক'ব তাই? কেনেকৈ জানি শুনি প্ৰিয়াক বিপদলৈ ঠেলি দিব? নিৰুত্তৰ হৈ থকা সন্ধ্যাৰ বাহুত হাত থৈ প্ৰিফেক্ট নন্দিনীয়ে সুধিলে,

"কোৱা সন্ধ্যা বা, তোমাক জোৰ কৰি নিছিল নেকি কোনোবাই?"

মেমেও ক'লে,

"কৈ দিয়া সন্ধ্যা। ভয় কৰিব নালাগে কাৰোলৈকো। মই কথা দিছোঁ, কোনেও একো কৰিব নোৱাৰে তোমাক।"

"কোনেও জোৰ কৰি নিয়া নাই মোক মেম।"

সৰু মাতেৰে ক'লে মাত্ৰ সন্ধ্যাই। তাৰ পাছত পাৰ হ'ল মুহূৰ্তবোৰ নীৰৱে। সন্ধ্যা বহি আছে একেদৰেই। কন্দাও নাই তাই। কিছুমান কষ্ট ইমান বেছি হয় যে চকুপানীয়েও পাতলাবলৈ অক্ষম হৈ পৰে। সন্ধ্যাৰো তেনেকুৱা হৈছে। মাকে কান্দি কান্দি কৈছে,

"তই মৰি নাথাকিলি কিয় অ' ৰুণ? বংশ পৰিয়াল সকলোৰে আগত আমাক এইদৰে কিয় মূৰ উঠাব নোৱাৰা কৰিলি?"

"বাইদেউ, এইক লৈ যাওঁ। নালাগে আৰু পঢ়িব। বহুত হ'ল। কাৰোবাৰ ঘৰত চাকৰণী ৰাখে যদি থাকক গৈ।"

দেউতাকে ৱাৰ্ডেনক কৈছিল কথাখিনি। জুপিতৰা মেমে শান্ত সুৰত বুজালে তেওঁলোকক,

"চাওঁক, এতিয়া ভাৰ্চিটী উইক চলি আছে। এতিয়া এইবোৰ কৰিলে কথাটো বেছি বহলি যাব আৰু লগতে গোটেই হোষ্টেলখনৰ বদনাম হ'ব। আপোনালোকে এটা সপ্তাহ ৰৈ দিয়ক। যদি ভাৰ্চিটী উইক শেষ হোৱালৈকে কথাটোৰ একো ঠিক নহয়, তেন্তে হোষ্টেলৰ ফালৰ পৰাই সন্ধ্যাক বিদায় দিয়া হ'ব।"

Kaushik

আচলতে মেমে ইচ্ছা কৰিয়ে এইটো বুদ্ধি কৰিছিল। কাৰণ তেওঁ ভালদৰেই জানে আৰু বুজি পাই যে সন্ধ্যা এনেকুৱা ছোৱালী নহয়। নিশ্চয় কিবা এটা কাৰণ আছে আৰু সেই কাৰণটো এই এসপ্তাহত ওলাব বুলিও তেওঁ আশা কৰিছে। কথাটো মাক দেউতাকেও মানি ল'লে। তেওঁলোক যোৱাৰ আগত মাকে ক'লে,

"এইখন মুখ লৈ ঘৰলৈ নাহিবি কোনোদিন। ইয়াত যেনেকৈ মৰ মৰিবি।"

তলমূৰকৈ সন্ধ্যাই শুনি গৈছে মাত্ৰ নীৰৱে। তাৰ পাছতে মাকহঁত ওলাই গ'ল। নন্দিনীহঁতক জুপিতৰা মেমে বুজাই থৈ গৈছে,

"এতিয়া কথাটো আৰু উলিয়াব নালাগে। হোষ্টেলৰ প্ৰেকটিছবোৰত লাগা। এডমিনিষ্ট্ৰেচনক যি ক'ব লাগে মই ক'ম। ভাৰ্চিটী উইকটো নোযোৱালৈকে কথাটো ওলাব নালাগে। মিটিং হ'লেও কোনেও গম নোপোৱাকৈ হ'ব।"

সন্ধ্যাক এবাৰ মৰমেৰে হাত ফুৰাই মেম গুছি গ'ল। ৰুমটোত অকলে সন্ধ্যা। কৰিডৰটোৰেদি কোনোবা ছোৱালী এজনী পাৰ হৈ যাওঁতে সন্ধ্যাৰ কাণত পৰাকৈ গাই গৈছে,

"ছিলা, ছিলা কি জৱানী..."

দৰ্জাৰ হুকটো লগাই দিলে সন্ধ্যাই। তাৰ পাছত মূৰটো গুজি দিলে গাৰুটোত। অত সময়ৰ পৰা লৈ থকা যন্ত্ৰণাৰ পাহাৰখন গলিবলৈ লৈছিল লাহে লাহে। মুখখন হেঁচি ধৰি চকুপানীৰ ঢলত যেন উটি গৈছিল সন্ধ্যা। কান্দি কান্দিয়ে তাই সাজু হৈছিল আহিব লগা দিনবোৰৰ বাবে, যুদ্ধবোৰৰ বাবে।

সেইদিনাৰ পৰাই সন্ধ্যাৰ বাবে আৰম্ভ হৈছিল কষ্টৰ সময়বোৰ। ক্লাছত গৈ বেগটো পিছফালৰ বেঞ্চ এখনত থৈছিলহে তাই, আগফালৰ জুমটোৰ পৰা ভাঁহি আহিছিল তিৎকাৰি,

"একেবাৰে লাজ নাই অ'। কালি ৰাতি সেইখন, আজি ক্লাছলৈ আহিলেই।"

"এনেই হ'লে একেবাৰে কি মহান, একেবাৰে ৰাধা গোটেইজনী।"

"ৰাধা কাৰণেইতো ৰাতি ৰাসলীলা কৰিবলৈ গৈছিল।"

Kaushik

লগে লগে এজাউৰি বুকু ভেদি যোৱা হাঁহি। ছিৰাছিৰ হোৱা বুকুখনত শিলটো যেন অধিক গধূৰ হৈ পৰিছে সন্ধ্যাৰ। এৰা, ক্লাছলৈ নাহিব বুলিয়ে ভাবিছিল তাই। কিন্তু আহিল। অকলশৰে থকা তাইৰ ৰুমটো যে আচৰিত ধৰণে ভয়ংকৰ হৈ উঠিছিল। গোটেই ৰুমটোৱে যেন অট্টহাস্য কৰিবলৈ লাগিছিল। সেইবাবেই ওলাই আহিল তাই। জানে, এইবোৰ সহ্য কৰিব লাগিব। কিন্তু ঠাট্টাৰ ভয়ত কিমান পলাই ফুৰিবনো? মানুহৰ পৰাহে পলাব, জীৱনৰ পৰা কোনোবা পলাব পাৰিছে জানো আজিলৈকে! যোৱা পাঁচটা বছৰে এইবোৰ কথা ভালদৰেই শিকিছে তাই। এটা দীঘল উশাহেৰে চকু দুটা মুদি বেঞ্চখনত বহি ৰৈছে সন্ধ্যা। এজন এজনকৈ ষ্টুডেন্ট আহি আছে। এসময়ত জুৰিহঁত আহিল। জুৰিয়ে পোনচাটেই আহি সন্ধ্যাক সুধিলে,

"হৈছে কি তোৰ? কি কৰি আছোঁ বুলি ভাবিছ তই?"

তলমূৰ কৰি নিমাত হৈ আছে সন্ধ্যা। জুৰিয়ে তাইৰ বাহুটোত ধৰি জোকাৰি খঙেৰে ক'লে,

"মনে মনে থাকিলে চব ঠিক হৈ যাব বুলি ভাবিছ নেকি? নকঁৱ কিয়?"

"ৰ'বাচোন জুৰি। তাইৰ কিবা এটা সমস্যা হৈছে চাগে। সন্ধ্যা, আমাকতো কোৱা। আমি জানো পাঁচ বছৰ একেলগে পঢ়া নাই?"

পৰীয়ে সন্ধ্যাৰ গালত হাত ফুৰাই মৰমেৰে সুধিছিল। চকুৰ পতাদুখন পিৰিকিয়াই ওলাই আহিব খোজা চকুপানীখিনিক জোৰেৰে ভিতৰলৈ ঠেলি পঠালে সন্ধ্যাই। তাই একো নোকোৱা দেখি জুৰি আকৌ গৰজি উঠিল,

"এইবোৰ চব ঢং। তোৰ বান্ধৱী বুলি ক'বলেও লাজ লগা হ'ল। ব'ল পৰী, এইৰ লগত থাকিলে বদনামহে হ'ব।"

জুৰিৰ লগতে একো নোকোৱাকৈ সীমা আৰু পৰীহঁতো আগফালৰ বেঞ্চ পালেগৈ। কিন্তু অনুৰাধা তাতে ৰৈ যোৱাত জুৰিয়ে আকৌ মাত দিলে,

"তই ৰৈ গ'লি যে? আহ আকৌ।"

"তহঁত যা। মই সন্ধ্যাৰ লগত বহিম।"

কথাটো কৈ অনুৰাধা সন্ধ্যাৰ কাষত বহিব লৈছিল। সন্ধ্যাই ক'লে,

"আগলৈ যোৱা অনুৰাধা, মই অকলে বহিব বিচাৰিছোঁ।"

Kaushik

অনুৰাধাই তাইৰ কাষত বহিলে। তাইৰ বাহুত হাত থৈ ক'লে,

"যাম বাৰু। কিন্তু সন্ধ্যা, গোটেই পৃথিৱীয়ে ক'লেও মই নামানোঁ যে তুমি এনে কিবা কাম কৰিব পাৰা। কাৰণটো নোকোৱা যেতিয়া জোৰ নকৰোঁ। মাত্ৰ ধৈৰ্য্য ধৰা, বিপদবোৰ শেষ হ'বই।"

উচুপি উঠিছিল সন্ধ্যাই। অনুৰাধা আগফাললৈ যাব ওলাই আকৌ ক'লে,

"আমাক নক'লেও অন্ততঃ অনুৰণক ক'বা সন্ধ্যা। এই কথাবোৰ উলিওৱাৰ পাছৰে পৰা তাৰ কি অৱস্থা হৈছে তুমি অনুমান কৰিব পাৰিছা চাগে।"

কথাটো কৈ অনুৰাধা আঁতৰি গ'ল। সন্ধ্যাৰ চকুপানীখিনি অবাধ্য হৈ ওলাই আহিল এইবাৰ। অনুৰণ, কেনে আছে বাৰু সি? সহ্য কৰিব পাৰিছে নে সন্ধ্যাৰ নামত চলা এই লেতেৰা বদনাম! নে আনৰ দৰে সিও ভাবি লৈছে এইবোৰ সঁচা বুলি! সদায়ৰ দৰে এইবাৰো ক'ব নে সি "মই আছোঁ" বুলি! উশাহবোৰ খুব কষ্টৰে লৈছে সন্ধ্যাই। বাৰে বাৰে চাইছে দুৱাৰমুখলৈ। ক্লাছ আৰম্ভ হ'বৰ হ'ল। নাই, অনুৰণ নাহিল। নাহিল ময়ূঁৰো।

kaushik

সাৰ পাওঁতে প্ৰায় চাৰে ন বাজিল অনুৰণৰ। এতিয়া আৰু প্ৰথমটো ক্লাছ পোৱা সম্ভৱ নহয়। সেইবাবে পিছৰটো ক্লাছৰ পৰাই যাব বুলি ঠিক কৰিছিল। মুখ হাত ধুই কেন্টিনৰ পৰা চাহ কাপ লৈ সি ময়ূঁৰৰ ৰুমলৈ গ'ল। যোৱা ৰাতিৰ ঘটনাবোৰে আমনি কৰিছিল অনুৰণক। নাই, সকলোৱে মানি ল'লেও সি কেতিয়াও নামানে যে সন্ধ্যা আৰু ময়ূঁৰৰ মাজত তেনে কিবা সম্পৰ্ক থাকিব। কিন্তু সকলো উত্তৰ কেৱল সিহঁতৰ হাতত হে আছে। সুধিব, অনুৰণে সন্ধ্যাকো সুধিব। তাৰ আগতে ময়ূঁৰৰ পৰা জানি ল'ব কথাবোৰ। সেইবাবেই সি ময়ূঁৰৰ ৰুম পালেগৈ। অনুৰণে জানে, ময়ূঁৰো নিশ্চয় ক্লাছ যোৱা নাই। যোৱা পাঁচ বছৰ একেলগে থাকি অনুৰণে জনা হৈছে ময়ূঁৰে কেতিয়া কেতিয়া ক্লাছ খতি কৰে।

সি অনুমান কৰা মতেই ময়ূঁৰ ক্লাছলৈ যোৱা নাছিল। টোপনিৰ পৰা উঠাই নাই সি। টোপনিত থকা ময়ূঁৰৰ শান্ত মুখখন চাইছিল অনুৰণে অলপ সময়। এই মুখখনে কেনেকৈ জানিব কুৎসা ৰটিব, মিছা কথা। নামানে অনুৰণে কেতিয়াও। ময়ূঁৰক লাহেকৈ মাতিলে সি,

"ময়ূঁৰ, ময়ূঁৰ।"

সাৰ নোপোৱা দেখি তাৰ গাত ধৰি জগাই দিলে এবাৰ,

"ময়ূঁৰ, উঠা। ক্লাছ যাবৰ হ'ল।"

খকমককৈ সাৰ পালে সি। টেবুলৰ পৰা আনি অনুৰণে তাৰ হাতত তুলি দিলে ব্ৰাছডাল। মুখ হাত ধুই ক্লাছলৈ বুলি ওলাই আহিল দুয়োটা। বাটতে অনুৰণে সুধিলে,

"ময়ূঁৰ, কি হৈছিল কালি?"

একো নামাতি গৈ আছে ময়ূঁৰ। অলপ ৰৈ অনুৰণে আকৌ সুধিলে,

"মোকো ক'ব নোৱাৰা কথা নে?"

ময়ূঁৰে এবাৰ অনুৰণৰ ফালে চাই মাত্ৰ ক'লে,

"মোক বেয়া নাপাবা অনুৰণ।"

আৰু একো নুসুধিলে অনুৰণে। একো কথাও নক'লে। আজি অভিমন্যুলৈ মনত পৰিল তাৰ। অভিমন্যু থকা হ'লে ময়ূঁৰৰ পৰা সি কথাটো উলিয়াইহে এৰিলেহেঁতেন। কিন্তু ভাল বন্ধু হ'লেও ময়ূঁৰৰ বাবে অভিমন্যুৰ দৰে নহয় অনুৰণ। অনুৰণ বুলিয়েই নহয়, সকলো মানুহৰ লগতে যেন এক বিশেষ ব্যৱধান ৰাখে ময়ূঁৰে। কথা পাতিলেও গঢ়ি তোলে এক বিশেষ দেৱাল। সেই দেৱাল ভাঙি ময়ূঁৰক পোৱাৰ সাধ্য অভিমন্যুৰ বাহিৰে আন কাৰোৰে নাই। অনুৰণৰো নাই। নিৰূপায় হৈ একো ন'কৈ ক্লাছলৈ গৈ থাকিল অনুৰণ। ক্লাছত সন্ধ্যাৰ পৰাই জানিব লাগিব আচলতে কালি হৈছিল কি!

প্ৰথম ক্লাছটোৰ পাছৰ পৰাই কেন্টিনত ঠেলা হেঁচা হৈ যায়। দৌৰা দৌৰিকৈ ক্লাছ কৰিবলৈ অহা বাবে বহুতৰেই ব্ৰেক ফাষ্ট কৰাৰ সৌভাগ্য নহয়। সেইবাবেই কেন্টিনত ভিৰ কৰিবলৈ বাধ্য। আজি সন্ধ্যাৰো ব্ৰেকফাষ্ট কৰা নহ'ল। শোৱাৰ পৰা সোনকালেই উঠিছিল তাই। কিন্তু কিয় জানো ডাইনিং হলটোত সোমাবলৈ মনটোৱে নক'লে। সেইবাবেই এতিয়া কেন্টিন পালেহি। ভিৰৰ মাজতে দহ টকাটো বাইদেউজনীলৈ আগবঢ়াই সন্ধ্যাই কৈছে,

"বা, ভেজ পেটিছ এটা।"

kaushik

বা জনীয়ে এটা এটাকৈ সকলোৰে পইছা লৈ বিচৰা বস্তুবোৰ দি আছে। কাৰোবাক কফি, কাৰোবাক পেটিছ, চিঙৰা। এনেতে সন্ধ্যাই অনুভৱ কৰিলে তাইৰ কাষত ৰৈ থকা ল'ৰাটোৰ কিলাকুটিৰ অংশটোৱে যেন জোখতকৈ অধিক আগবাঢ়ি আহিছে তাইৰ ফালে। অলপ আঁতৰি গ'ল সন্ধ্যা। কিন্তু লগে লগে ল'ৰাটোৰ কিলাকুটিটোও যেন আগুৱাই আহিল। এসময়ত তাইৰ বুকুৰ উঠন ঠাইটুকুৰাত ঘঁহনি খাবলৈ লাগিল তাৰ কিলাকুটিটো। বতাহত আগলি কলাপাত কঁপাদি কঁপি উঠিল সন্ধ্যা। আজিলৈকে কতদিন তাই ইয়াত ঠেলা হেঁচাৰ মাজত বস্তু কিনিছে ঠিক নাই। কোনোদিন এনে হোৱা নাই। তেন্তে আজি কিয়! উত্তৰটো ল'ৰাটোৱেই দিলে। কোনেও নেদেখাকৈ তাইৰ কাণৰ কাষত আহি সি ফুচফুচালে,

"মোৰ লগতো ব'লা এদিন। পাটকাইৰ ল'ৰাটোতকৈ দুগুণ মজা দিম।"

বজ্ৰপাতহে যেন পৰিছিল সন্ধ্যাৰ শৰীৰত। যেন জুইয়ে দহি নিছে তাইক। পুৰি গৈছে গোটেই দেহ ছাঁই হৈ। তেনে অনুভৱ হৈছিল। তাই একো ক'বলৈ নাপাওঁতেই কাৰোবাৰ হাত এখনে সন্ধ্যাৰ বাহুত ধৰি জোৰকৈ টানি আনিলে সেই ভিৰটোৰ মাজৰ পৰা। মুকলি ঠাইখিনিলৈ আহিহে সন্ধ্যাই দেখিলে টানি অনা জন অনুৰণ। তাই কিবা ক'বলৈ লৈছিলহে, সি তাইক হাতত ধৰি তললৈ লৈ গ'ল। যন্ত্ৰৰ দৰে চলি গৈ থাকিল সন্ধ্যা। ডিপাৰ্টমেন্টৰ তলৰ বাৰাণ্ডাত অনুৰণে হাতখন এৰি দিলে তাইৰ। তলমূৰ কৰিলে সন্ধ্যাই। খঙত মুখ ৰঙা পৰিছিল যদিও খুব শান্ত মাতেৰে ক'লে অনুৰণে,

"ইমান ভিৰত কিয় সোমাব লাগে, অলপ সময় ৰ'লেওতো হয়।"

একো কোৱা নাই সন্ধ্যাই। অনুৰণে তাইক তাতে এৰি ভিতৰলৈ গ'ল। কেন্টিনৰ পৰা চাহ একাপ আৰু ভেজ পেটিছ এটা আনি সন্ধ্যাৰ হাতত দিলে। হাত পাতি লৈ চাহত চুমুক দিলে সন্ধ্যাই। লগতে বহি পৰিল বাৰাণ্ডাৰ ষ্টেপ কেইটাত। কাষতে বহি অনুৰণে সুধিলে,

"এতিয়া কোৱা, কি হৈছিল কালি।"

সন্ধ্যাই একো মতা নাই। মাত্ৰ নীৰৱ হৈ খাই আছে চাহ আৰু পেটিছ। অনুৰণে আকৌ ক'লে,

"কোৱা না সন্ধ্যা, কিয় গুছি গৈছিলা তেনেকৈ?"

"এনেয়ে।"

Kaushik

"তুমি মোকো ফাঁকি দিছা?"

একো নকৈ মাত্ৰ উঠি গ'ল সন্ধ্যা। নোৱাৰে তাই। আৰু অলপ সময় থাকিলেই হয়তো কান্দোন ৰখাব নোৱাৰিব তাই। দুৰ্বল হৈ অনুৰণক হয়তো কৈ পেলাব সকলো। অনুৰণে সন্ধ্যাৰ বদনাম সহ্য কৰিব নোৱাৰে কেতিয়াও। তাৰ পাছত! কি দশা হ'ব প্ৰিয়াৰ! কি হ'ব সন্ধ্যাৰ প্ৰতিশ্ৰুতিৰ! নালাগে, তাতকৈ থাকক এইদৰেই। সময়ৰ সোঁতত নিজকে এৰি দিছিল সন্ধ্যাই।

সময়বোৰ কঠিন হৈ পৰিছে লাহে লাহে। হোষ্টেলৰ ইতিকিংবোৰ বাঢ়ি আহিছিল ক্ৰমান্বয়ে। তলমূৰ কৰি সহ্য কৰি গৈছে সন্ধ্যাই নীৰৱে। সিদিনা সন্ধিয়া Essential কিবা বস্তু কিনিবলৈ সোমাইছিল সন্ধ্যাই। বস্তু কেইটা হাতত লৈ ওলাই আহোঁতেই সমুখৰ ঘূৰণীয়া টেবুলখনৰ পৰা উফৰি আহিছিল গীতৰ কলি,

"কভি মেৰে চাথ

কই ৰাত গুজাৰ

তুঝে চুবভা তক মেই

কৰ লো প্যাৰ"

সন্ধ্যাই নাজানে সেইয়া তাইৰ বাবেই আছিল নে নাই, কিন্তু তাই খৰ খোজেৰে ওলাই আহোঁতে গিৰ্জনি মৰা বীভৎস হাঁহিয়ে তাইলৈকে টোঁৱাইছিল। ৰুমত সোমাই আকৌ নিজক এৰি দিছিল তাই অশ্ৰুৰ বন্যাত।

টক টক টক ; দুৱাৰত কোনোবাই অহৰহ শব্দ কৰি আছে। চকুপানী মোহাৰি সন্ধ্যাই গৈ খুলি দিলে। ৰুবী সোমাই আহিছে ৰুমলৈ। মুখত কাপোৰ বন্ধা। দুৱাৰখন আকৌ জঁপাই সন্ধ্যাই সুধিলে,

"কি হ'ল ৰুবী? এনেকৈ আহিছা যে?"

কাপোৰখন গুছাই ৰুবীয়ে ক'লে,

"তোমাৰ ৰুমলৈ অহা বুলি বেলেগে গম পালে কমখন বদনাম হ'ব নে? তোমাৰ তাত মোৰ বাতি এটা আছিল। তাকে নিবলৈ আহিছোঁ। সোনকালে দিয়া। মানুহে দেখিব।"

Kaushik

সৰগ পৰা মানুহৰ দৰে কেই মূহুৰ্তমান ৰৈ গৈছিল সন্ধ্যা। লাহে লাহে অস্পৃশ্য জ্ঞান কৰিবলৈ লৈছে মানে তাইক সকলোৱে। সময়, ইমান নিষ্ঠুৰো হ'ব পাৰে নে! ৰুবীক একো নকৈ তাইৰ বাতিটো উলিয়াই দিলে সন্ধ্যাই। এদিন ৰুমত মেগী খাবলৈ ৰুবীয়ে নিজেই ইয়ালৈ আনিছিল সেইটো। বাতিটো লৈ ৰুবী ওলাই যাওঁতে কৈ থৈ গ'ল,

"বেয়া নাপাবা সন্ধ্যা, তুমি ছোৱালীজনী ভাল বুলি জানো। কিন্তু চবেই কৈ আছে যে, সেইবাবে হে এনেকৈ আহিছোঁ।"

ৰুবী যোৱাৰ পাছত আকৌ বিচনাত বাগৰ দিলে সন্ধ্যাই। অসহ্য, অসহ্য এই একাকীকত্ব। একেবাৰে অদৃশ্য হৈ যাব পৰা হ'লে তাই। এবাৰ ফোনটো উলিয়াই মাকলৈ ফোন লগালে সন্ধ্যাই। কিন্তু ফোনৰ সিপাৰৰ পৰা ছিটিকি অহা শব্দবোৰে বেজীৰ দৰে খুঁচিছিল তাইক,

"ফোন নকৰিবি আমালৈ। মান সন্মান চব শেষ কৰি কি কৰিবলৈ ফোন কৰিছ? কোনটো নাক লৈ জীয়াই আছ তই? বেলেগ হোৱা হ'লে ইমান দিনে জীয়াই নাৰাখিলহেঁতেন নিজক।"

উস, শুনিব নোৱাৰিলে আৰু সন্ধ্যাই। চকুপানীৰ ভঁৰালটোও যেন শেষ হৈ গৈছে তাইৰ। মাকৰ কথাত কান্দিবও পৰা নাই সন্ধ্যাই। কান্দিব নোৱাৰা কষ্টবোৰ বেছি ভয়ংকৰ। নহ'বই বা কিয়, যিজনী মাকে তাইক জন্ম দিছিল। সেইজনী মাকেই আজি তাইক পৰোক্ষ ভাৱে হ'লেই মৃত্যুৰ কথাকেই সোঁৱৰালে। সঁচাই কি জীয়াই থাকি ভুল কৰিছে নেকি তাই? এবাৰ উলমি থকা ছিলিং ফেন থনলৈ চালে সন্ধ্যাই। এক মূহুৰ্তও নালাগে তাইৰ নিজক শূণ্যত বিলীন কৰি দিবলৈ। এৰা, জীৱনে যেতিয়া প্ৰতাৰণা কৰে তেতিয়া মৃত্যুও তৃষ্ণা হৈ পৰে। এক দুৰ্বাৰ তৃষ্ণা।

Kaushik

ৰাতি ভাতকেইটা খাই ময়ূঁৰ পাটকাইৰ আগফালে বহি আছিলহি অকলে। কমন ৰুমৰ পৰা ভাহি আহিছে ঢোলৰ গুমগুমণি। মাজে মাজে বিহুৰ যোজনা। প্ৰেকটিছবোৰ যিমানে চলি আছে সিমানে তাৰ মনত পৰিছে অভিমন্যুলৈ। আগতে সি থাকিলে ময়ূঁৰকো জোৰ জবৰদস্তি কামত লগাই। যোৱাবাৰতো নাটকেই কৰাই দিলে। সন্ধ্যা আৰু সি কৰিব লগা হ'ল অভিমন্যুৰ বাবেই। সন্ধ্যা, তাইৰ কথা মনত পৰোঁতেই মনটো গধূৰ হৈ পৰিছিল ময়ূঁৰৰ। কি মাটিৰে গঢ়া এই ছোৱালীজনী। কি আচৰিত সহ্য শক্তি তাইৰ। বিনা প্ৰতিবাদে টু শব্দ এটা নোকোৱাকৈ মানি লৈছে সকলো

অপবাদ। তাকো আনৰ বাবে। সঁচাই যেন সন্ধ্যাৰ জীৱনটো কিবা উপন্যাসৰ কৰুণ কাহিনীৰ দৰে।

"কি অ' বেটা, আগফালে বহি আছহি যে? আজিও নিবি নেকি মালটো?"

মুখত মদৰ দুৰ্গন্ধ লৈ লৰক ফৰক খোজেৰে পাটকাইৰ ভিতৰৰ পৰা ল'ৰা দুটা আহি ময়ূঁৰৰ কাষত বহিলহি। ময়ূঁৰ উঠি যাবলৈ লওঁতেই টানি বহাই দিলে,

"আৰে ক'ত যাঁৱ? বহ না ৰেই। কচোন কেনেকুৱা আছিল মালটো? আমাকো কন্টেক্ট কৰাই দে না।"

লগে লগে সিটোৱে ক'লে,

"দে না ভাই, তোকো কমিচন দিমতো।"

খঙত মুখখন কঁপি উঠিছিল ময়ূঁৰৰ। এনেতে পিছফালৰ পৰা কাৰোবাৰ গলগলীয়া মাত,

"কি চলি আছে ইয়াত?"

ঘূৰি চাই অনুৰণক দেখি ল'ৰা দুটা যাবলৈ ওলাল। যাওঁতে মাত্ৰ উকিয়াই থৈ গ'ল,

"মুখত বেটাৰ কি কেঁচুৱা কেঁচুৱা ভাৱ। ভিতৰি এক নম্বৰ বেইমান। ভাৰ্চিটী উইক যাওঁক, হোষ্টেলৰ পৰা উলিয়াই আছোঁ তোক।"

অনুৰণে ময়ূঁৰৰ ওচৰলৈ আহি ক'লে,

"ভিতৰলৈ যোৱা ময়ূঁৰ।"

"মানুহবোৰ ইমান বেয়া কিয়?"

খঙত মাতটো কঁপিয়েই আছিল ময়ূঁৰৰ। অনুৰণে তাৰ ফালে নাচাই বাহিৰলৈ মুখ কৰিয়েই গহীন কৈ উত্তৰ দিলে,

"বেয়া হ'বলৈ তোমালোকেই সুযোগ দিছা।"

আচম্বিত হৈ অনুৰণৰ ফালে চালে ময়ূঁৰে,

"অনুৰণ, তুমিও তেনেকৈ ভাবিছা?"

Kaushik

"ভাবিবলৈ মই কোন? সকলো কথা জানিব পৰাকৈ মইতো কাৰো নিজৰ নহয়। শোৱা গৈ যোৱা।"

কথাটো কৈ অনুৰণ খৰ খোজেৰে আঁতৰি গৈছিল। একেথৰে চাই ৰৈছিল ময়ূঁৰে তাৰ ফালে। যোৱা পাঁচ বছৰে আজিলৈকে অনুৰণে কেতিয়াও এনে ব্যৱহাৰ কৰা নাছিল। কিন্তু এই ঘটনাটোৱে যেন অনুৰণকো ভাঙি দিলে। বুজে ময়ূঁৰে। কিন্তু কি কৰিব, সন্ধ্যাৰ ওচৰত যে সি কথা দি থৈছে। একে কোবে ৰুমলৈ গৈ দৰ্জাখন মাৰি দিলে সি। বিচনাত বহি থকা ছাঁয়া মূৰ্তিটোৰ কোলাত নিজৰ মূৰটো গুজি দি উচুপি উঠিল,

"মই একো বেয়া কৰা নাই ৰাধা"

লাহি পাহি আঙুলি কেইটাই খেলি গ'ল ময়ূঁৰৰ ঘন চুলিৰ মাজত। পৰম প্ৰশান্তিত চকু মুদি দিলে সি।

সেইদিনা ক্লাছ সোনকালে শেষ হ'ল। সন্ধ্যা অকলেই আহি আছিল হোষ্টেলৰ ফালে। এবাৰ মহামায়ালৈ যাবলৈ মন গৈছিল তাইৰ। কিন্তু নগ'ল। নিজৰ চিনাকি মানুহখিনিৰ পৰা আঁতৰি আছে তাই বহু কষ্ট কৰি। হোষ্টেল আৰু ডিপাৰ্টমেণ্ট, এইকেইটাই ঠিকনা এতিয়া তাইৰ। গৈ থাকোঁতেই পিছফালৰ পৰা কোনোবাই মাতিলে,

"সন্ধ্যা"

ঘূৰি চাই দেখে চন্দ্ৰালী বা। তাই আহি ওচৰ পালেহি,

"সন্ধ্যা, কি হৈছে বুলি নোসোধোঁ। কাৰণ তুমি কেনেকুৱা সেয়া জানিবলৈ তোমাৰ কৈফিয়তৰ প্ৰয়োজন মোক নাই। মাত্ৰ এটা কথাই কওঁ, সাহস নেহেৰুৱাবা। সময়হে, পাৰ হ'বই। মাত্ৰ সঁচা কথাবোৰ পাৰিলে কৈ দিবা।"

"কেতিয়াবা কথাবোৰ ক'লে সমস্যা বেছিহে হয় বা।"

সন্ধ্যাৰ কথাত হাঁহি মাৰি চন্দ্ৰালীয়ে ক'লে,

"ৰীতা চৌধুৰী বাইদেৱে তেওঁৰ উপন্যাস এখনত লিখিছিল, কিছুমান সমস্যাৰ সমাধান সমস্যাৰ মাজেৰেই হয়। গতিকে ভাবি চাবা অলপ। আৰু শুনা, প্ৰেকটিছলৈ আহিবা। আজি আবেলিৰ পৰাই হ'ব। মনটো বেছি বেয়া লাগে সোমাই থাকিলে।"

Kaushik

কথাটো কৈ আঁতৰি গৈছিল চন্দ্ৰালী। এটা হুঁমুনিয়াহ পেলাই সন্ধ্যা আগবাঢ়িবলৈ লওঁতেই দেখিছিল ডিপাৰ্টমেণ্টৰ পৰা চাইকেলখন লৈ ওলাই আহিছে অনুৰণ। সন্ধ্যাই মুখ ঘূৰাই আগবাঢ়িছিল। ভয়, ভয় লাগে তাইৰ অনুৰণৰ মুখামুখি হ'বলৈ। যোৱা কেইদিনত তাৰ মুখত থকা এন্ধাৰখিনি দেখিছে সন্ধ্যাই। ইচ্ছা কৰিও যে তাই একো কৰিব নোৱাৰে। অন্ততঃ প্ৰিয়া সুস্থ হৈ ঘূৰি নহালৈকে।

"পলাইছা যে মোৰ পৰা?"

অনুৰণে চাইকেলখন তাইৰ কাষতে ৰখাই দি ক'লে। সন্ধ্যাই তাৰ ফালে নোচোৱাকৈয়ে ক'লে,

"ৰুম যাওঁ। দেৰি হৈছে।"

"কিয় ইমান কষ্ট দিছা নিজক?"

"ঠিকেই আছোঁ মই।"

এইবাৰ অনুৰণে সন্ধ্যাৰ হাতত ধৰি নিজৰ ফালে টানি মাৰি আনি চিঞৰি উঠিল,

"কিন্তু মই ঠিকেই নাই সন্ধ্যা।"

অনুৰণৰ চকু কেইটা যেন কঁপি উঠিছিল। তাৰ তপত উশাহে সন্ধ্যাক চুই গৈছিল। সন্ধ্যাৰ মন গৈছে, যেন তাৰ বুকুত সোমাই চিঞৰি উঠিব। হুকহুকাই কান্দি খহাই দিব অতদিনৰ কষ্টৰ পাহাৰখন। কিন্তু সেইবোৰ একো নকৰি তাই কঠোৰ ভাৱে ক'লে,

"হাত এৰা অনুৰণ।"

"কৈ দিয়া না সন্ধ্যা। মই খুব কষ্টত আছোঁ অ'।" মাতটো কঁপিছিল অনুৰণৰ।

বিষ, এটা আচৰিত বিষে যেন মোহাৰি নিছে সন্ধ্যাৰ কলিজাটো। বুকুখন যেন উশাহ ল'ব নোৱাৰাকৈ গধূৰ হৈ পৰিছে। এইমাত্ৰ যেন ঢলি পৰিব তাই। কিন্তু নাই, নিজকে শিললৈ সলনি কৰা সন্ধ্যা থৰ হৈ ৰৈ আছিল মাত্ৰ একো নকৈ। প্ৰচণ্ড খঙত থৰকৈ চাইকেল চলাই আঁতৰি গৈছিল অনুৰণ।

ৰুমত গৈ আকৌ চকুলোৰ পাৰভঙা নৈত উপঙিছিল সন্ধ্যা। কথা ক'ব নোৱাৰাকৈ কান্দিছিল তাই। গাৰুটো তিতি গৈছিল আধা। টেবুলত থকা কৃষ্ণৰ মূৰ্তিটো সাৰটি লৈছিল বুকুৰ মাজত,

Kaushik

"মই-- মই আৰু নোৱাৰোঁ অ' কৃষ্ণ। আৰু নোৱাৰোঁ মই।"

কান্দি কান্দি তেনেকৈয়ে পৰি থাকিল সন্ধ্যা।

সাৰ পাই মানে ভাতৰ সময় পাৰ হৈ গৈছিল সন্ধ্যাৰ। আবেলিৰ যাওঁ যাওঁ কৰা বেলিটো ওলমি আছিল কাঞ্চনজোপাত। সাৰ পাই মুখ খন ধুই কাপোৰযোৰ সলাই প্ৰেকটিছলৈ বুলি ওলাল তাই। বিহুলৈ বেছি দিন নাই। এই কেইদিন তাই যোৱাই নাই প্ৰেকটিছত। আজি আবেলিৰ পৰাই হ'ব। ৰুমত সোমাই থকাতকৈ তাই প্ৰেকটিছলৈকে যাব। এই বছৰ শেষ বিহু সন্ধ্যাৰ। যেনে তেনে হ'লেও পুৰস্কাৰটো পাবই লাগিব। শেষ বাৰৰ বাবে সোৱণশিৰীক জিলিকাব সন্ধ্যাই।

কথাবোৰ ভাবি ভাবিয়ে চৰাইদেউ পালেগৈ সন্ধ্যা। চৰাইদেউৰ কমন ৰুমটোত ছোৱালীবোৰ গোট খাই আছে। ল'ৰা চব অহা নাই। সদায় মাত বোল কৰি থকা ছোৱালী কেইজনীয়ে সন্ধ্যালৈ নতুনকৈ দেখাৰ দৰে চাইছে। দুই এজনীয়ে ফুচফুচাই কিবা কথাও পাতিছে। সন্ধ্যা অলপ আঁতৰত অকলে ৰৈছে। এনেতে চিৰঞ্জীৱ আহি ওলাল। সন্ধ্যাক দেখিয়ে চিঞৰিয়ে দিলে সি,

"আৰে সন্ধ্যা বা। বঢ়িয়া। মই ভাবিহে আছিলোঁ বোলো কেতিয়া আহে আপুনি। এতিয়াহে ঢোলটো বজাই ভাল লাগিব। ঐ, তহঁত কেইজনী আহ আকৌ।"

সেমেকা হাঁহি এটা মাৰিছিল সন্ধ্যাই চিৰঞ্জীৱৰ উৎসাহ দেখি। পাঁচ বছৰৰ অভিজ্ঞতাৰ পৰা তাই গম পাইছিল যে তাইক সহজ কৰিবলৈকে সি এইখিনি কৰিছে। কথাৰ মাজতে চিৰঞ্জীৱক ছোৱালী কেইজনীয়ে মাতি নিলে ইংগিতত। সিহঁতে কি ক'লে সন্ধ্যাই নুশুনিলে, কিন্তু চিৰঞ্জীৱে হঠাৎ চিঞৰি উঠিল,

"কি ফাল্টু কথা এইবোৰ? কোনে উলিয়াই এইচব ফাল্টু চিষ্টেম? নবজাওঁ মই ঢোল ঢোল।"

সন্ধ্যা আগুৱাই গ'ল সিহঁতৰ ফালে,

"কি হৈছে? কি হৈছে চিৰঞ্জীৱ?"

মুখেৰে একো নামাতি ঢোলটো চকীত থৈ মাৰি ডাল জোৰেৰে দলিয়াই খঙত ওলাই গ'ল চিৰঞ্জীৱ। তাৰ হৈ উত্তৰটো ছোৱালী এজনীয়ে দিলে,

Kaushik

"বা, ৱাৰ্ডেন মেমহঁতে কৈ থৈছিল আপোনাক যাতে ভাৰ্চিটী উইকৰ কোনো ইভেন্টত ভাগ ল'বলৈ দিয়া নহয়।"

মূৰটো আচন্দ্ৰাই কৰিছিল সন্ধ্যাৰ। কি শুনিছে তাই এইয়া? যিখন হোষ্টেলৰ বাবে তাই অত বছৰ পঢ়া শুনা ক্ষতি কৰি প্ৰেকটিছ কৰিলে, শ্ৰেষ্ঠ বিহুৱতী, শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান আজুৰি আনিলে, সেইখন হোষ্টেলত তাইৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে। খুব কষ্টৰে নিজক চম্ভালি লৈছিল সন্ধ্যাই। এটা হাঁহিৰে "ঠিকে আছে দিয়া। ভালকৈ নাচিবা। অল দা বেষ্ট" বুলি কৈ ওলাই আহিছিল সন্ধ্যা। পিছফালৰ পৰা কোনোবা এজনীয়ে কৈছিল,

"হুঁহ, তেওঁ ক'লেহে যেন আমি ভালকৈ নাচিম। এইবোৰ অসভ্য ছোৱালী থাকিলে আমি হাৰিমহে।"

Kaushik

বেয়া, বেয়াবোৰ খুব বেয়া। এই যে মন গ'লেই একেষাৰ শুনাই দিব পৰাকৈ মুখখন আছে আমাৰ, এই যে সমুখৰ জনক বিধ্বস্ত কৰি দিব পৰাকৈ ভাষাৰ শক্তি আছে আমাৰ, এই যে আনক ভাঙি যোৱা চাই থকাৰ ভয়ংকৰ লোভ আছে আমাৰ, বেয়া খুব বেয়া এইবোৰ। আমি নাজানোঁ হাঁহিৰ আঁৰত চলা বুকুৰ ভিতৰৰ যুদ্ধবোৰ, আমি নাজানোঁ দিনৰ পোহৰত উজলা কিমানখন মুখেই ৰাতি গাৰুৰ কোলাত গুজে, আমি নুবুজোঁ তিৰবিৰাই থকা চকুবোৰে কিদৰে উৰে নিশা যন্ত্ৰণাৰ গল্প ৰচে। আমি মাথোঁ অভিযোগ দিব জানো, আমি শব্দৰে ধাৰাসাৰ কৰিব জানো, আমি যুক্তিৰে চিৰাচিৰ কৰিব জানো, আমি প্ৰতিযোগিতাৰে জিকিব জানো। বেয়া, খুব বেয়া। উশাহ লৈ থকা মৰাশ হোৱাটো খুব কষ্টকৰ। খুব কষ্ট, খুব।

কাঞ্চনজংঘাৰ সমুখৰ পুলটোত বহি অথনিৰে পৰা এইবোৰ কথাই মনত পাগুলি আছে সন্ধ্যাই। লাহে লাহে মৰাশ এটালৈ সলনি হৈছে তাই। সকলো আঁতৰি কাষৰ পৰা। কোনো নাই। সমুখত সৌৱা সেউজীয়া ফিল্ডখন। সেই সেউজীয়াবোৰেও যেন জীপাল কৰিব পৰা নাই আজি সন্ধ্যাক।

"সন্ধ্যা বা"

চিৰঞ্জীৱৰ মাত। ঘূৰি চালে সন্ধ্যাই,

"কোৱা"

"এইটো লোৱা। তোমালৈ আনিছিলোঁ।"

চিৰঞ্জীৱৰ হাতত এটা আইচক্ৰীম।

"মোৰ মন নাই চিৰঞ্জীৱ"

"প্লিজ বা, লোৱা না।"

উপায় নাপাই হাত পাতি ল'লে সন্ধ্যাই। চিৰঞ্জীৱ আঁতৰি গ'ল। সি চাগে তাইক মন ভাল লগাবলৈকে আনিলে এইটো। হঠাৎ কি হ'ল তলকিব নোৱাৰিলে সন্ধ্যাই। চিৰঞ্জীৱ যোৱাৰ ফালে চাই থাকোঁতেই কোনোবাই থাপ মাৰি কাঢ়ি নিলে আইচক্ৰীমটো। হঠাৎ এটা চিনাকি মাত,

"কৈছিলোঁ ন, মই আকৌ আহিম।"

উচপ খাই উঠিল সন্ধ্যা। ঘূৰি চাইছিল সিটো ফালে। লগে লগে চকুপানী খিনি পাৰ ভাঙি বৈ আহিল সন্ধ্যাৰ। কাৰণ তাইৰ আইচক্ৰীমটো হাতত লৈ বিশেষ ভংগীমাৰে দুষ্টালিৰ হাঁহি মাৰি সমুখত ৰৈ আছে অভিমন্যু।

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 122

সময়, সঁচাই বৰ আচৰিত নহয়! ই কষ্ট দিয়ে, আঘাত দিয়ে। কিন্তু তাৰ মাজেৰেই শিকাই যায় সাহস আৰু শক্তিৰ অমোঘ মন্ত্ৰ। সন্ধ্যাৰ ক্ষেত্ৰতো এনে হৈছিল। কত ৰাতি তাই অকলে কান্দি কান্দি পাৰ কৰিছিল। শিতানৰ গাৰুটোৰ যদি প্ৰাণ থাকিলেহেঁতেন, কত যে কৰুণ উপন্যাস সদায় প্ৰকাশ হ'লহেঁতেন। যন্ত্ৰণাৰ এহেজাৰ এনিশা পাৰ কৰি জিৰণিৰ পাৰঘাটত যেতিয়া আপোন কাৰোবাক পোৱা যায়, তাতকৈ সুখৰ ক্ষণ আৰু হয়তো একোৱেই নাই। হয়, অভিমন্যু উভতি আহিছিল। সন্ধ্যাৰ "অভি" উভতি আহিছিল। উভতি আহিছিল হাঁহিবোৰ, উভতিছিল জোনাক, উভতিছিল হেৰোৱা বেলিৰ হেঙুল আভা। এৰা, অভি আকৌ উভতিছে কাঞ্চনৰ চহৰলৈ।

"কথা দিছোঁ তোক, জীৱনত যিদিনাই এনেকুৱা অনুভৱ হ'ব যে তোৰ কাষত কোনো নাই, গোটেই পৃথিৱীয়ে তোৰ পৰা আঁতৰি গৈছে, সেইদিনাই মই আহি তোৰ কাষত থিয় দিম। প্ৰমিজ, মই আকৌ আহিম।"

সন্ধ্যাৰ কাণত বাজি গৈছে অভিমন্যুয়ে যোৱাৰ পৰত কৈ যোৱা সেই কথাষাৰ। হয়, আজিয়েই সেইটো দিন। কোনো নাই তাইৰ কাষত। মাক দেউতাক তাইৰ কথা শুনিবলৈকে সাজু নহয়, লগৰ বন্ধু আঁতৰিছিল সকলো। ইচ্ছা কৰিও অনুৰণৰ সমুখত কথাবোৰ উদঙাব পৰা নাই। সেই সময়তে আহিছে অভিমন্যু।

একেথৰে অভিমন্যুলৈ চাই ৰৈ গৈছে সন্ধ্যা। আগতকৈ অলপ ক্ষীণাইছে সি। হয়তো তাত হোৱা কষ্টবোৰৰ বাবেই। চুলিবোৰ দীঘল হৈছে, লগতে দাড়িও ৰাখিছে পাতলকৈ। এখোজ দুখোজকৈ আগবাঢ়ি আহিল অভিমন্যু সন্ধ্যাৰ ফালে। আইচক্ৰীমটো তাইৰ নাকতে লগাই দি গালে সি,

"Tere liye hi toh signal tod taad ke

Aaya dilliwali girlfriend chhod chhad ke"

ৰ'ব নোৱাৰিলে সন্ধ্যা। সাৱটি ধৰিলে অভিমন্যুক। লগে লগে পাৰ ভাঙি ওলাই আহিছে কান্দোনবোৰ। সশব্দে কান্দি উঠিছে সন্ধ্যাই। আজি নাই একো সংকোচ, ভয়ো নকৰে তাই কাৰোলৈকে। পৃথিৱীৰ আটাইতকৈ ডাঙৰ ধুমুহাইও বলাব নোৱাৰে আজি তাইক। কান্দোনত ভাঙি পৰা সন্ধ্যাক বুকুত সোমোৱাই লৈছে অভিমন্যুয়ে। বৈ আহিছে তাৰো চকুপানী। জোৰ কৰি ৰখাইছে সি। অভি সন্ধ্যাৰ মৰমত বতাহজাকো যেন শান্ত হৈ বলিছে। ফেঁকুৰি ফেঁকুৰি কৈছে সন্ধ্যাই,

"তই বৰ দেৰি কৰি দিলি অ' অভি। মোক-- মোক আজিকালি চবেই বেয়া পায়। কিন্তু মই ইমান বেয়া নহয় অ'।"

অভিমন্যুয়ে একো কোৱা নাই। মাত্ৰ জোৰেৰে সাৱটি ধৰি আছে তাইক। সঁচাই, কেতিয়াবা আমাক একোৰে প্ৰয়োজন নহয়। মাত্ৰ অলপ সময় জিৰাবৰ মন যায় আমাক বুজি পোৱা কাৰোবাৰ বুকুত। নালাগে, সেইজন প্ৰেমিক হ'ব নালাগে। মাত্ৰ আমাৰ আৱেগবোৰ সামৰিব পৰাকৈ সক্ষম হওঁক। সেয়ে যথেষ্ট। সন্ধ্যাৰ জীৱনত সেই স্থান হয়তো অনুৰণৰো নাই। এইখিনিতেই বন্ধুত্ব সদায় বিশেষ। প্ৰেমতো থাকিবই, কিন্তু প্ৰেমক জীপাল কৰি ৰাখিবলৈকে বন্ধুত্বৰ প্ৰয়োজন। "তুমি" আৰু "তই"ৰ পাৰ্থক্য ইয়াতেই।

Kaushik

অলপ সময় তেনেকৈ থাকি সন্ধ্যা ওলাই আহিল অভিমন্যুৰ বাহুৰ মাজৰ পৰা। তাইৰ চকুপানীখিনি দুহাতেৰে মচি দি অভিমন্যুয়ে ক'লে,

"কোনে কন্দুৱাইছে মোৰ পুতলাজনীক?"

কন্দাৰ মাজতো হাঁহি উঠিছে সন্ধ্যাই,

"পুতলা কাৰণেহে আহোঁতে ইমান দেৰি কৰিলি?"

"আৰে নহয় অ'। জানই চোন আমাৰ ৰুটিনখন কিমান হেক্টিক। এতিয়া আহিয়ে চিধা তোক লগ কৰিবলৈ আহিছোঁ। এইখিনিৰ পৰা দেখিলোঁ তই চৰাইদেউৰ পৰা ওলাই যোৱা। প্ৰেকটিছ কেনে চলিছে?"

এটা হুঁমুনিয়াহ সৰাই সন্ধ্যাই ক'লে,

"সেইবোৰ বহুত কথা। ক'ম বাৰু লাহে ধীৰে। তই আছতো দুদিনমান?"

"দুদিনমান মানে, একদম ভাৰ্চিটী উইক শেষ কৰিহে যাম। এনেও কৰোনাৰ যি উৎপাত। অলপ দিন ঘৰতে থাকোঁ।"

অভিমন্যুৰ প্ৰতিটো শব্দত সন্ধ্যাৰ চকুযোৰ যেন উজলি উঠিছিল,

"কৰোনা মানে তহঁতৰ ফালেও পালেহি নেকি?"

"পালেহি মানে পাবহি আৰু। মই পলালোঁ।"

"আমাৰ ইয়াতো হ'ব নেকি অ'?"

"অসমত নহ'ব চাগে। বাৰু এতিয়া মই যাওঁ দে। সন্ধিয়া ভালকৈ লগ পাম। ওলাই আহিবি।"

অভিমন্যু যাবলৈ ওলাল। কমি গৈছিল সন্ধ্যাৰ বুকুৰ শিলটোৰ ওজন। এমোকোৰা হাঁহিৰে তাই মূৰ দুপিয়ালে। সি যাবলৈ লৈ তাইক আইচক্ৰীমটো দি ক'লে,

"অহ, তোৰ আইচক্ৰীমটো। হুঁ, ল।"

সন্ধ্যাই হাতখন মেলোঁতেই দৌৰ দিলে সি,

"নেপাঁৰ। এইটো মোৰ।"

সন্ধ্যাই চিঞৰিলে,

Kaushik

"অভি, দে না মোক। চিৰঞ্জীৱে হে দিছিল।"

"তাক আৰু এটা কিনি দিবলে ক'বি।"

অভিমন্যুয়ে উকিয়াই থৈ গ'ল। হাঁহি উঠিছিল সন্ধ্যাৰ। নিজক কোৱাৰ দৰে ক'লে তাই,

"একেই আছে পাগলটো।"

মনটোত এসোপা মান ভাল লগা ভৰাই সন্ধ্যা উভতি গ'ল সোৱণশিৰীলৈ।

"ঐ, ঐ ল'ৰা। কি কৈ আছোঁ শুনিছ নে নাই?"

পাটকাইৰ সমুখৰ বননি খিনিত চকী এখন পাৰি বহি থকা ময়ূঁৰক উদ্দেশ্যি কৈ আছে বিকাশ নামৰ ল'ৰাটোৱে। ভাত খাই ৰ'দতে বহি ময়ূঁৰে উপন্যাস এখন মেলি লৈছে। ৰীতা চৌধুৰীৰ "বিভ্ৰান্ত বাস্তৱ"। য'ত আছে মায়া, গায়ত্ৰী হোৱাৰ কাহিনী। গায়ত্ৰীৰ অদম্য সাহসখিনিক নিজৰ বুকুলৈ কঢ়িয়াবলৈ চেষ্টা কৰিছে সি। তাৰ মাজতেই বিকাশ ওলালহি। আচলতে কথাটো কালি ৰাতিৰে। ৰাতি ভাত খাই থাকোঁতেই বিকাশে মেচত ময়ূঁৰক সন্ধ্যাৰ ফোন নম্বৰটো খুজিছিল। সি নিদিওঁ বুলি কোৱাত তাৰ কথা ৱাৰ্ডেনক লগোৱাৰ ভাবুকিও দিছিল। কিন্তু যিকোনো মূল্যৰ বিনিময়ত সন্ধ্যাৰ ফোন নম্বৰ নিদিয়ে ময়ূঁৰে। বেচেৰীয়ে এনেয়ে অতবোৰ কষ্ট ভুগি আছে, আৰু কষ্ট দিব নোৱাৰে ময়ূঁৰে তাইক। ৰাতি একো নকৈ আঁতৰি গৈছিল যদিও এতিয়া ময়ূঁৰ অকলে থকা দেখি বিকাশ আকৌ এইখিনি পালেহি। ময়ূঁৰে একো নামাতা দেখি বিকাশে এবাৰ চকীখন ঘটালি দিলে,

"ঐ বেইমান, কিবা এটা কৈ আছোঁ। দিবি নে নম্বৰ?"

তেতিয়াও একো মতা নাই ময়ূঁৰে। এসময়ত খং উঠি বিকাশে তাৰ পৰা কিতাপখন টানি আনি ৰাস্তাৰ ফালে দলিয়াই দিলে। তাৰ পাছত ময়ূঁৰক থিয় কৰাই বুকুত ধৰি চিঞৰাৰ দৰে ক'লে,

"কি বে? কথা ক'লে যে পাত্তাই নিদিয়? ছোৱালীৰ লগত ৰাতি ৰাতি এনজয় হা, মাৰ বাপেৰে ইয়াত পঢ়িবলৈ পঠাইছে নে--"

বিকাশৰ কৈ শেষেই নহ'ল, পাটকাইৰ বিল্ডিংটো কঁপাই গৰজি উঠিছিল মাতটো,

Kaushik

"বিকা--শ"

ময়ূঁৰ আৰু বিকাশে একেলগে ঘূৰি চালে। বিকাশে দলিয়াই দিয়া ময়ূঁৰৰ কিতাপখন হাতত লৈ চকু ঘোপা কৰি ৰৈ আছে অভিমন্যু। খঙত যেন কঁপি উঠিছে সি। হাতখনৰ মুঠিটো টান হৈ আহিছে। তাৰ মাতত পাটকাইৰ সমুখৰ ৰুমত থকা দুই এটা ল'ৰাও আগফালে ওলাই আহিল। অভিমন্যু আগুৱাই গ'ল বিকাশৰ ওচৰলৈ। তাৰ ওচৰ পাই কিতাপখন ময়ূঁৰৰ হাতত দিলে। তাৰ পাছতে এটা প্ৰচণ্ড চৰ বঢ়াই দিলে বিকাশৰ গালত। চৰটো ভৰ ৰখাব নোৱাৰি মাটিত বাগৰি পৰিল বিকাশ। অভিমন্যুয়ে চিঞৰি উঠিল,

"সি সমনীয়া তোৰ? হা, সমনীয়া? ছিনিয়ৰক কেনেকৈ কথা ক'ব লাগে পাহৰি গ'লি? এইখন হোষ্টেল হয়। তোৰ বাপেৰৰ হোটেল নহয়।"

বিকাশে যেনে তেনে বহাৰ পৰা উঠি ভয়ে ভয়ে ক'লে,

"আপুনি, আপুনি এনেকৈ কাৰোবাক মাৰিব নোৱাৰে অভিমন্যু দা। মই কম্প্লেইন--"

তাক শেষ কৰিবলৈ নিদি অভিমন্যুয়ে জোৰেৰে হাঁহি উঠিল। তাৰ পাছত বিকাশৰ বাহুত হাত থৈ ক'লে,

"কি কৰিবি বেটা মোৰ কম্প্লেইন দি? কি কৰিব মোক? পাহৰিলি নেকি, মই যে পাছ কৰিলোঁ। চালা ওলাই যোৱাৰ এবছৰো হোৱা নাই, হোষ্টেলখন চোন ধ্বংস কৰি পেলাইছ বে।"

এনেতে চাৰি পাঁচটা মান ল'ৰা চিঞৰ মাৰি ওলাই আহিল বাহিৰলৈ,

"আৰে অভিমন্যু দা"

"আহি গ'ল আমাৰ হিৰো"

"দিল্লী চে আয়া মেৰা ভাই"

"এইবাৰহে এইবাৰ"

লাহে লাহে এজাক ল'ৰাই ঘেৰি ধৰিলে অভিমন্যুক। কোনোবাই দাঙিও ল'লে দাংকোলাকৈ কোলাত। কোনোবাই মাজতে "পাটকাই পাটকাই" শ্লোগানো লগাই দিলে। মুঠতে কেই মূহুৰ্তমানৰ ভিতৰতে গোটেই হোষ্টেলে গম পাই গ'ল যে অভিমন্যু আহিছে। পুৰণা প্ৰায় সকলোৱেই ওলাই আহি মাত লগালেহি তাক। নতুনখিনিয়ে চিনি নাপালেও

kaushik

এটা কথা বুজিছিল যে পাটকাইৰ প্ৰাণ ঘূৰি আহিছে আজি। দুই এটা আহি তাৰ লগত চিনাকিও হৈছেহি। অভিমন্যুয়েও হাঁহি মাৰি ধেমালি কৰিছে চবৰে লগত। সঁচাই, সময়ৰ ব্যৱধানে কেতিয়াও নিভাঁজ আপোনতাত প্ৰভাৱ পেলাব নোৱাৰে। হোষ্টেলবোৰ যেন তাৰেই জ্বলন্ত প্ৰমাণ। ইমান দিনৰ মূৰত চেনেহৰ ঘৰখনলৈ অহাৰ হেঁপাহত আবেগিক হৈ পৰিছিল অভিমন্যু। কোনোবা পাকত আহি পুতুকণো ওলালহি,

"অভিমন্যু দা, গোটেইটো শুকাই কৰ্কৰীয়া মাৰিলে দেখোন।"

অভিমন্যুয়ে হাঁহি এটা মাৰি ক'লে,

"কি অ' পুতু, খবৰ ক"

"এইটোৱে বেয়া পাওঁ দাদা। অসমৰ পৰা গৈ দিল্লী পালেগৈ, তেও মোৰ নামটো ভালকৈ নুফুটিল। পুতুকণ বুলি মাতিব মোক। হেৰিয়াৰ জীয়েকলৈ মনত পৰে নহ'লে।"

লগে লগেই এজাউৰি হাঁহি। অভিমন্যুয়ে খবৰ ল'লে,

"প্ৰেক্টিছ কেনে চলিছে এইবাৰ?"

কোনোবা এটাই লগে লগে ক'লে,

"বঢ়িয়া দাদা। এইবাৰ প্ৰাগজ্যোতিকাৰ লগত পৰিছোঁ।"

"ভাল ছোৱালী আছে নাই অ' প্ৰাগজ্যোতিকাত? মানুহজনী নাই নহয় লগত। এই কেইদিন ব'ৰ হ'ম নহ'লে।"

আকৌ এজাক যৌৱনভৰা হাঁহিয়ে ভৰাই তুলিলে হোষ্টেলটো।

এই সকলোবোৰ দূৰৈৰ পৰা শান্ত হাঁহি এটাৰে চাই ৰৈছে ময়ূঁৰে। বহুদিনৰ মূৰত যেন আজি তাৰ মনটো পোহৰ।

সন্ধ্যা উভতি গৈ সোৱণশিৰীৰ গেট পাওঁতেই ছিকিউৰিটী মাহীয়ে ক'লে,

"সন্ধ্যা, তোমাক লগ পাবলৈ কোনোবা আহিছে। ভিজিতৰ ৰুমতে আছে।"

কোন হ'ব পাৰে এই সময়ত! ভাবি পোৱা নাই সন্ধ্যাই। কেনেবাকৈ ঘৰৰ পৰা কোনোবা অহা নাইতো! যোৱা কেইবাদিনো ধৰি ঘৰৰ লগত একো যোগাযোগ হোৱাই

Kaushik

নাই তাইৰ। ঘৰৰ পৰাও কোনেও কৰা নাই ফোন। তেন্তে, কোন আহিলনো? এখোজ দুখোজকৈ গৈ তাই ভিজিটৰ ৰুম পালেগৈ। ৰুমটোৰ বেতৰ চোফাখনতে বহি আছে মহামায়াৰ বকুল দা।

"বকুল দা, আপুনি?" আচৰিত হৈ মাতিলে সন্ধ্যাই। তাইক দেখি বকুল দা থিয় হ'ল। কঁপা কঁপা মাত এটাৰে বকুল দাই ক'লে,

"তই আমাক পাহৰিলি বুলি আমিতো তোক পাহৰিব নোৱাৰোঁ আই।"

চকু ভৰি আহিছিল সন্ধ্যাৰ। বকুল দাৰ হাতত ধৰি কৈছিল,

"তেনেকৈ কিয় কৈছে বকুল দা? আচলতে যোৱা কেইদিনত---"

আৰু একো ক'ব নোৱাৰি উচুপি উঠিল সন্ধ্যা। কেনেকৈ ক'ব তাই কিদৰে যোৱা দিনবোৰত নিজকে নিজে কবৰ দিছে তাই। বকুল দাই লাহে লাহে ক'লে,

"জানো অ' আই, চব জানো। চব শুনিছোঁ। তোক নোসোধোঁ কি হৈছে বুলি। কাৰণ তোৰ ওপৰত বিশ্বাস আছে মোৰ। তই একো বেয়া কাম কৰিব নোৱাৰ। কিবা বাধ্যত পৰিহে চাগে মনে মনে আছ। মাত্ৰ সাহস ৰাখিবি অ' মা। ঈশ্বৰত বিশ্বাস ৰাখিবি। চাবি তেৰাই চব ঠিক কৰিব। ভাল মানুহৰ লগত কেতিয়াও বেয়া নকৰে ঈশ্বৰে।"

Kaushik

উচুপি উঠিছিল সন্ধ্যাই। বেয়া দেখিছে তাই চব ফালে। তাৰ মাজতো চন্দ্ৰালী বা, চিৰঞ্জীৱ আৰু বকুল দাৰ দৰে মানুহবোৰৰ বাবেই বিশ্বাস শব্দটোৰ ওপৰত এতিয়াও বিশ্বাস উঠি যোৱা নাই সন্ধ্যাৰ। সন্ধ্যাৰ মূৰত হাত ফুৰাই বকুল দাই ক'লে,

"মই দেৰি নকৰোঁ। দোকানলৈ যাওঁ। এই কেইটা ৰাখচোন।"

কথাটো কৈ সন্ধ্যালৈ পাঁচশ টকাৰ নোট দুখন আগবঢ়াই দিলে বকুল দাই। আচৰিত হৈছে সন্ধ্যা,

"বকুল দা, এইবোৰ?"

"তই নক'লেও বুজি পাওঁ নহয় মই। ঘৰৰ পৰা পইছা পঠাইছে জানো? কেনেকৈ চলিছ এইকেদিন?"

বকুল দাৰ কথাত হুকহুকাই কান্দি উঠিছে সন্ধ্যাই। নাই, সেই দেউতাক আৰু মাক যে গ'ল। তেতিয়াৰ পৰাই তাইলৈ ফোন এটাও কৰা নাই। তাই এদিন কৰোঁতেও মাকৰ

হুটা মাত শুনি আৰু নকৰা হ'ল। একাউন্টৰ পইছা প্ৰায় শেষ। ইচ্ছা কৰিয়ে খৰছ কমাইছিল সন্ধ্যাই। জৰুৰী বস্তুটোও নিকিনাকৈ থৈছিল। ভোক লাগিলেও কেন্টিনত একো নোখোৱাকৈ আছিল। কাকো ক'ব পৰা নাছিল এইবোৰ কথা। খুব টকা পইছাৰ মাজত ডাঙৰ নহ'লেও সৰুৰে পৰাই স্বাভিমানী আছিল সন্ধ্যা। উপযাচি কাৰোবাৰ পৰা পইচা খুজিবলৈ সংকোচ কৰিছিল তাই। কিন্তু তাইৰ এই সংকটটো যে বকুল দাই বুজি পাব তাই কল্পনাও কৰা নাছিল। সন্ধ্যাই একো নোকোৱা দেখি নোট কেইখন জোৰকৈ তাইৰ হাতত গুজি দি বকুল দাই ক'লে,

"ককায়েৰে মৰমত দিয়া বুলিয়েই ৰাখি থচোন। মই এতিয়া যাওঁ। মনটো বেয়া লাগিলে দোকানলৈকে গুছি আহিবি।"

কথাটো কৈ ওলাই গৈছিল বকুল দা। পাৰ নোহোৱালৈকে চাই ৰৈছিল সন্ধ্যাই তেওঁলৈ। আপোন হ'বলৈ তেজ নালাগে, লাগে মাত্ৰ মৰম আৰু এটা নিভাঁজ মন। বকুল দা যেন তাৰেই এক প্ৰমাণ। বৈ অহা চকুপানী খিনি মচি দিলে সন্ধ্যা। আজি যেন অনুভৱ হৈছে, পৃথিৱীত তাইতকৈ চহকী আৰু কোনো নাই। মানুহৰ বুকুৰ মৰমেৰে সন্ধ্যা সকলোতকৈ ধনী।

Kaushik

"তই শকত হৈছ চোন অ', পেটটোও ওলাইছে। কি খাইছে ই ইমান অনুৰণ?"

ময়ূঁৰক পাতলকৈ ঢকা এটা মাৰি অনুৰণলৈ চাই ক'লে অভিমন্যুয়ে। হোষ্টেলৰ চিনাকি চবৰে লগত কথা বতৰা পাতি প্ৰায় এঘন্টা মানৰ মূৰত সি ময়ূঁৰৰ ৰুম পালেহি। বেগটো থৈ বিচনাত বাগৰ দিছে। যিহেতু ইয়াতে থাকিব সি। গোটেই পৃথিৱী ঘূৰিলেও যেন ময়ূঁৰৰ ৰুমটোহে তাৰ আচল জিৰণিৰ ঠিকনা। হোষ্টেলৰ প্ৰিফেক্টে গেষ্ট ৰুম দিয়াৰ কথা কৈছিল যদিও অভিমন্যুয়ে নল'লে। ময়ূঁৰ থকাৰ অৱস্থাত গেষ্ট ৰুম কিয়!

"অনুৰণ কিবা টেনশ্যনত আছা নি বাৰু?"

অলপ আগতে অভিমন্যুয়ে সোধা প্ৰশ্নত একো প্ৰতিক্ৰিয়া নিদি থৰ হৈ থকা অনুৰণক সি আকৌ সুধিলে। অনুৰণে থতমত খোৱাৰ দৰে ক'লে,

"নাই, নাই একো নাই। তুমি ৰেষ্ট লোৱা দিয়া অলপ। লগ পাম পাছত।"

কথাটো কৈ অনুৰণ ওলাই গ'ল ৰুমৰ পৰা। একো নোকোৱাকৈ সি যোৱাৰ ফালে চাই থকা ময়ূঁৰক অভিমন্যুয়ে সুধিলে,

"কি হৈছে অনুৰণৰ? তোৰ লগত কিবা লাগিছে নি?"

অভিমন্যুৰ বেগটো ৱাৰড্ৰবত ভৰাই ময়ূঁৰে ক'লে,

"হেই, মোৰ লগত আকৌ কি লাগিব?"

"তেন্তে? কিবা এটাটো হৈছে চিওৰ।"

"ক'ম দে। বহুত কথা এইবোৰ।" ময়ূঁৰে হুঁমুনিয়াহ সৰাইছিল। অভিমন্যু বিচনাৰ পৰা উঠি বহিল,

"অথনি সন্ধ্যাইও ক'লে বহুত কথা, তইও কৈছ এতিয়া। আচলতে হৈছে কি তহঁতৰ। কিবা খেলিমেলি নিচিনা লাগিছে যে। আৰু অথনি বিকাশে কিয় গালি দি আছিল তোক?"

একে উশাহে সি কোৱা কথাৰ উত্তৰত ময়ূঁৰে মাত্ৰ ক'লে,

"ক'ম চব লাহে ধীৰে। এতিয়া অলপ ৰেষ্ট--"

"নলওঁ ৰেষ্ট। মই অনুৰণৰ ওচৰৰ পৰা আহোঁগৈ।"

কথাটো কৈয়ে অভিমন্যু একে কোবে ওলাই গ'ল। ময়ূঁৰে পিছফালৰ পৰা চিঞৰিছিল,

"অভি, অভি শুন না।"

নাই, অভিমন্যু নৰ'ল। জানিছিলেই ময়ূঁৰে, সি কথাটো নুলিওৱা লৈকে নৰয়। কিন্তু ময়ূঁৰে কি কৰিব? সঁচা কথাটো ক'ব জানো? সন্ধ্যাই তাক মানা কৰি থৈছে। এনেতে তাৰ মোবাইলত মেচেজ এটা আহিল। সন্ধ্যাই দিছে,

"Moyur, Abhi k eku nokoba. Xi khongot ki koribo thik nai"

মেচেজটো পঢ়ি নিজক কোৱাৰ দৰেই ক'লে ময়ূঁৰে,

"কিমান সহ্য কৰিব এই ছোৱালীজনীয়ে!"

অভিমন্যু গৈ পাওঁতে অনুৰণে হেডফোন লগাই লেপটপত কিবা চাই আছিল। দুৱাৰখন খুলি সোমাই আহিল অভিমন্যু।

"ঐ, আহা।" অনুৰণে ক'লে।

Kaushik

অভিমন্যু তাৰ বিচনাতে বহিল। অনুৰণে হেডফোন ডাল খুলি থ'লে,

"নুশুলা নি তুমি?"

তাৰ প্ৰশ্নৰ উত্তৰ নিদি অভিমন্যুয়ে সুধিলে,

"এইবোৰ কি হৈ আছে অনুৰণ?"

"কোনবোৰ?"

"তুমি ডিষ্টাৰ্ব হৈছা মানুহটো। ময়ূঁৰো যেন অলপ ডিপ্ৰেছড। ইফালে সন্ধ্যাক দেখিছোঁ পুলত অকলে অকলে বহি কান্দি আছে। হৈছে কি মানে?"

অনুৰণ অলপ সময় মনে মনে ৰ'ল। তাৰ পাছত লাহে লাহে কৈ গ'ল গোটেই কথাবোৰ। অভিমন্যু যোৱাৰ পৰা কি কি হৈছিল গোটেইবোৰ। কেনেকৈ সন্ধ্যা অকলশৰীয়া হৈ কাউন্সেলিং ল'বলৈ যাব ওলাইছিল। তাৰ পাছত সকলো ঠিক হ'ব যেন লাগোতেই হঠাৎ আকৌ সেই ভয়ংকৰ ৰাতিটো। আচৰিত হৈ চিঞৰাৰ দৰে কৈছিল অভিমন্যুয়ে,

"কি? ময়ূঁৰৰ লগত? তুমি তাক সুধিছিলা নে নাই?"

"সুধিছোঁ। একো নকয়। সন্ধ্যাকো বহুবাৰ সুধিলোঁ। একো নকৈ আঁতৰি যায়।"

খুব ভাগৰুৱা হৈ পৰিছে যেন অনুৰণ। থঙত থিয় হ'ল অভিমন্যু,

"হাৰে, সেইটো কথা হ'ল নি? কি প্ৰব্লেম হৈছে কিয় নক'ব সিহঁতে? চাওঁচোন মোক কেনেকৈ নকয়।"

কথাটো কৈয়ে থৰ খোজেৰে ওলাই গ'ল অভিমন্যু। পিছে পিছে যাব খুজিও অনুৰণ ৰৈ গ'ল। এই সময়ত ময়ূঁৰ আৰু অভিমন্যু অকলে থকাটোহে জৰুৰী।

ৰুমৰ সমুখতে ময়ূঁৰক পালে অভিমন্যুয়ে। সি ক'ৰবালৈ যাবলৈ ওলাইছে। অভিমন্যুয়ে ৰখাই সুধিলে,

"কি হৈছে এইবোৰ? কাকো কোৱা নাই ঠিক আছে। মোক ক।"

ময়ূঁৰে একো নকৈ যাবলৈ ওলাইছিল যদিও অভিমন্যুয়ে হাতেৰে ধৰি ৰখাই দিলে,

"ক মোক। কিয় গৈছিলি তহঁত দুটা ৰাতি? কোনে মাতি নিছিল?"

Kaushik

শান্ত মাতেৰে ময়ূঁৰে ক'লে,

"কথাবোৰ ক'ব বিচাৰোঁ মইও অভি। কিন্তু বেয়া নাপাবি। কাৰোবাক কথা দি থোৱাৰ বাবে ক'ব নোৱাৰিম।"

কথাটো কৈ ময়ূঁৰ ওলাই গ'ল। অভিমন্যুয়ে বুজিছিল কথাটো বৰ সৰু কথা নহয়। নহ'লে ময়ূঁৰে তাৰ পৰা নোলুকুৱাই। কিন্তু যিয়েই নহওঁক, সি এই কথাটো উলিয়াইহে এৰিব। মনটো ডাঠ কৰি সি আকৌ অনুৰণৰ ৰুম ওলালগৈ।

"ক'লে নে কিবা?" অনুৰণে সুধিলে।

"নাই, নক'লে।" অভিমন্যু অনুৰণৰ চকীখনত বহি মূৰটো দাঁতি পেলাই হাওলি দিলে। অলপ সময় কিবা চিন্তা কৰি হঠাৎ কিবা মনত পৰাৰ দৰে সুধিলে,

"বাৰু এটা কথা কোৱাচোন, সেই ৰাতি সন্ধ্যা আৰু ময়ূঁৰ যোৱাৰ পাছত বাকী আমাৰ চিনাকি চব ল'ৰা ছোৱালী ইউনিভাৰ্চিটীতে আছিল নে?"

অলপ সময় চিন্তা কৰি অনুৰণে ক'লে,

"অঁ আছিল। চবকেতো লগ পোৱা নাই। কিন্তু জুৰি, সীমা, নিমিষা আৰু অনুৰাধা আছিল। চৰাইদেউলৈকে আহিছিল সিহঁত।"

"আৰু পৰী?"

"পৰীও আছিল। তাই কাঞ্চনজংঘাত প্ৰেকটিছ কৰি আছিল। খবৰটো শুনি ওলাই আহিছিল।"

আকৌ মূৰটো পেলাই দিলে অভিমন্যুয়ে। চিন্তাৰ চোন আঁত বিচাৰি পোৱা নাই। কথাবোৰ যেন খেলি মেলি। একো বিচাৰি পোৱা নাই সি। কথা আৰু চিন্তাৰ মাজতে অভিমন্যুয়ে পাহৰি গৈছিল যে অনুৰণে এটা বিশেষ নাম নোলোৱাকৈ থাকিল।

"প্ৰিয়া, ইচ ৰাম। ইমান দিনৰ মূৰত।"

হোষ্টেলৰ গেটখন খুলি সোমাই আহোঁতেই প্ৰিয়াক দেখি চিঞৰ মাৰিলে প্লাৱিতাই। দৌৰি গৈ তাইক সাৱটি ধৰিলে,

"তই যে ঘৰ গৈ একদম নহাই হ'লি গৈ। আমাক পাহৰিয়ে যাঁৱ আৰু।"

Kaushik

হাঁহি মাৰি প্ৰিয়াই ক'লে,

"নহয় অ'। বেমাৰত পৰিলোঁ যে।"

"গম পাইছোঁ অ' কলিজাজনী। ইমান যে পুটুক পুটুক বেমাৰ হয় তোৰ। লগতে ফাৰ্মাচী এখন লৈ ফুৰিবি বুইছ।"

হাঁহি উঠিল প্ৰিয়াই। কথা পাতি পাতি দুইজনী প্ৰিয়াৰ ৰুম পালেগৈ। কাপোৰ সলাই বিচনাতে বহিল দুইজনী। প্লাৱিতাই সুধিলে,

"আৰু ক, আন্টীহঁতৰ ভাল নে?"

"উম ভালেই। বাকী, ভাৰ্চিটী উইকৰ প্ৰেকটিছ কেনে চলিছে?"

"চলি আছে আৰু মুটামুটি।"

"বিহুততো এইবাৰ আমি পামেই। সন্ধ্যা আছে যেতিয়া।"

প্ৰিয়াৰ কথাত আচৰিত হোৱাৰ দৰে প্লাৱিতাই ক'লে,

"তই কথাবোৰ গমেই নাপাঁৱ নেকি?"

"কোনবোৰ কথা?" প্ৰিয়াই সুধিলে।

প্লাৱিতাই ফুচফুচাই কৈছিল,

"সন্ধ্যাৰ বহুত ডাঙৰ কেচ এটা হ'ল নহয়। তাইক এতিয়া ভাৰ্চিটী উইকৰ কোনো ইভেন্টত পাৰ্টিচিপেট কৰিবলৈ নাই দিয়া।"

"কি? কিয়? কি কেচ?" আচৰিত হৈছিল প্ৰিয়া। অলপ ৰৈ প্লাৱিতাই আকৌ ক'লে,

"তাই মাজতে এৰাতি সেই পাটকাইৰ ময়ূঁৰ নামৰ ল'ৰাটোৰ লগত থাকি আহিল ক'ৰবাত। হোষ্টেলত গম নাপায়। গোটেই ৰাতি হুলস্থুল। ৱাৰ্ডেন মেমলৈ ফোন কৰিলে প্ৰিফেক্টে। মেমে লোকেল গাৰ্জেন মাতিলে। লোকেল গাৰ্জেনে মাক দেউতাককো মাতিলে। তাই নাই যি নাইয়ে। ৰাতিপুৱাহে ওলাইছেহি। দেউতাকে জান, চৰ এটাও মাৰিলে। চবেই ইমান সুধিলে। তাই মুখেৰে একো এটা নক'লে ঔ। ক'বও নো কি টো, ৰাতি ল'ৰাৰ লগত কি কৰিবলৈ গৈছিল সেইটো আৰু কোনে নুবুজিব?"

Kaushik

উশাহ ল'বলৈও পাহৰি গৈছে প্ৰিয়াই। সপোনতো ভবা নাছিল যে তাই সন্ধ্যাৰ বায়েকৰ ঘৰত আৰামত খাই বৈ থকাৰ সময়ত সন্ধ্যাই ইয়াত এই যমৰ যাতনা ভুগি আছে। তাকো তাইক বচাবলৈকে। প্লাৰিতাক একো নকৈ দৌৰ মাৰি ৰুমৰ পৰা ওলাই আহিল প্ৰিয়া। প্লাৰিতাই এবাৰ হাতত ধৰিলে,

"ক'ত যাঁৱ?"

"সন্ধ্যাৰ ওচৰৰ পৰা আহোঁ।"

"পাগল নেকি? নাযাবি সেই অসভ্যজনীৰ ওচৰত।"

তাইৰ হাতখন জোৰেৰে আঁতৰাই প্ৰিয়াই চিঞৰি উঠিল,

"চুপ থাক প্লাৰিতা। একদম চুপ থাক।"

লগে লগে সন্ধ্যাৰ ৰুমৰ ফালে দৌৰি গ'ল প্ৰিয়া। একো নুবুজাৰ দৰে চাই থাকিল প্লাৰিতাই।

Kaushik

সন্ধ্যাৰ ৰুমৰ দুৱাৰখন অলপ ফাঁক হৈ মেলা আছিল। প্ৰিয়া গৈ দুৱাৰ খুলি ভিতৰ সোমাল। বিচনাত শুই আছে সন্ধ্যা। চুলি খিনি মেলা। খোলা খিৰিকীৰ বতাহত কপালৰ চুলি কেইডাল অলপ অলপকৈ উৰিছে তাইৰ। খিৰিকীৰ কাষৰ কাঞ্চনজোপাৰ পাতবোৰৰ ফাঁকেদি বৈ অহা ৰ'দালিয়ে পোহৰৰ ছয়া ময়া আবিৰ সানিছে সন্ধ্যাৰ মুখমণ্ডলত। ৰ'দৰ পোহৰত কোনোবা খিলা পাতৰ ছাঁয়ে বতাহত দুলি আছে তাইৰ মুখত। প্ৰিয়াই চাই ৰৈছিল সন্ধ্যালৈ এক মূহুৰ্তৰ বাবে। কি আচৰিত শক্তি এই ছোৱালীজনীৰ। ইমান এটা ডাঙৰ বদনাম অকলে মূৰ পাতি লৈছে। আনকি প্ৰিয়াক এক চিকুট খবৰ দিয়া নাই। আৰু তাই এই ছোৱালীজনীকে যোৱা পাঁচ বছৰে কষ্ট দি আহিছে। নিজলৈকে এক প্ৰচণ্ড ঘৃণা উপজিল প্ৰিয়াৰ। চকু পানী ৰখাব নোৱাৰাকৈ বৈ আছে তাইৰ। কঁপা কঁপা মাতেৰে মাত দিলে তাই,

"সন্ধ্যা"

চিলমিল টোপনিত আছিল সন্ধ্যা। থকমককৈ সাৰ পাই উঠি বহিল,

"প্ৰিয়া? কেতিয়া আহিলি?"

তাইৰ প্ৰশ্নৰ উত্তৰ নিদি সন্ধ্যাৰ ভৰি দুটাত ধৰি হুকহুকাই কান্দি উঠিল প্ৰিয়াই,

"কি মাটিৰে বনিছ তই সন্ধ্যা? কি শক্তি আছে অ' তোৰ? কেনেকৈ ইমান ভাল পাব পাৰ মানুহক? কেনেকৈ আনৰ কাৰণে নিজক ধ্বংস কৰি দিব পাৰ?"

সন্ধ্যাই বাহুত ধৰি উঠাই আনিলে তাইক,

"হেই পাগলী। কিনো কৈ আছ অ'?"

"ঘৰৰ পৰা মানুহ আহিল, গোটেই ইউনিভাৰ্চিটীত বদনাম ওলাল, ভাৰ্চিটী উইকত নাচিব নিদিলে। ইমানবোৰ হোৱাৰ পাছতো এবাৰো নক'লি মোক?"

কান্দোনৰ মাজে মাজে কৈ গৈছে প্ৰিয়াই। অনুতাপত পুৰি ছাঁই হৈ গৈছে যেন আজি প্ৰিয়া। আজিৰ দিনটোতকৈ আগতে নিজলৈ ইমান খং উঠা নাছিল তাইৰ। সন্ধ্যাই সাৱটি ধৰিছে তাইক। কান্দি কান্দি এটা সময়ত থিয় হ'ল প্ৰিয়া,

"বচ, বহুত হ'ল। এতিয়া আৰু নচলিব এইবোৰ। মই এতিয়াই চবৰে আগত চিঞৰি চিঞৰি কৈ দিম যে সেইদিনা তই মোক বচাবলৈ গৈছিলি। ল'ৰাৰ লগত ৰাতি থাকিবলৈ মই হে গৈছিলোঁ। তই নহয়। চব কৈ দিম মই।"

ওলাই যাবলৈ ধৰা প্ৰিয়াৰ হাতত থাপ মাৰি ধৰিলে সন্ধ্যাই,

"প্ৰিয়া, এতিয়াই এইবোৰ হুলস্থুল নকৰিবি। আহি পাইছ হে তই। এনেই তোৰ অতবোৰ সমস্যা। আৰু নবঢ়াবি। মই পাৰিম এইবোৰ চম্ভালিব। কিন্তু তোৰ কষ্ট মোতকৈ বেছি হ'ব।"

প্ৰিয়াই সন্ধ্যাৰ হাতখন জোৰকৈ এৰুৱাই চিঞৰি উঠিল,

"বলিয়া হৈছ নেকি তই? কিবা হিন্দী ছিৰিয়েল চলি আছে হা ইয়াত? যে এজনীয়ে দোষ কৰিব আৰু সিজনীয়ে শাস্তি পাব? পাঁচ বছৰ সন্ধ্যা, পাঁচ বছৰ কষ্ট দিলোঁ তোক। আৰু দিব নোৱাৰোঁ। তোৰ নিচিনা ছোৱালী এজনীক কষ্ট দি আৰু পাপ কৰিব নোৱাৰোঁ মই। গোটেই সোৱণশিৰীত কৈ দিম আজি মই। তোক বিহু নাচিবলে নিদিয়ে হা? তোক অসভ্য কয়? তোক কেৰেক্টাৰ লেচ কয়? চালা ইয়াত থকা এজনীও তোৰ ভৰি ধোৱা পানী খোৱাৰো যোগ্য নহয়। কোনো সোধ পোচ নকৰাকৈ প্ৰমাণ নোহোৱাকৈ তোক এনেকুৱা কৰিবলৈ ক'ত সাহস হ'ল ইহঁতৰ? মই চব কৈহে এৰিম আজি।"

Kaushik

কথাখিনি কৈয়ে ৰুমটোৰ পৰা খৰ খোজেৰে ওলাই আহিল প্ৰিয়া। সন্ধ্যাৰ ৰুমৰ খিৰিকীৰে তেতিয়ালৈ সোমাই আহিছিল আবেলিৰ এজাক হেঙুল ৰ'দ।

(আগলৈ)

#নিৰিবিলি

Part 123

"প্ৰিয়া, প্ৰিয়া শুনচোন। প্ৰিয়া ৰচোন।"

কৈ কৈ প্ৰিয়াৰ পিছে পিছে দৌৰি ওলাই আহিছে সন্ধ্যা। তেতিয়ালৈ প্ৰিয়া কৰিডৰটো সাৰিলেই। কৰিডৰটো পাৰ হৈয়ে ৰৈ গ'ল প্ৰিয়া। সমুখত ৱাৰ্ডেন মেম। এই গৰাকী জুপিতৰা মেম নহয়। এচিষ্টেন্ট ৱাৰ্ডেনহে। প্ৰিয়ালৈ চাই মেমে সুধিলে,

"প্ৰিয়া, গা কেনেকুৱা এতিয়া তোমাৰ?"

দৌৰত ফোঁপাই প্ৰিয়াই ক'লে,

"ভালেই। মেম, আপোনাৰ লগত মোৰ এটা কথা আছে।"

"তোমাৰ লগতো মোৰ কথা আছে প্ৰিয়া। এইবাৰ আমাৰ পেৰেডৰ টীমটো একেবাৰেই উইক। তুমিতো আগতে কৰিছা, গতিকে অলপ ভালকৈ চাই দিয়া ইহঁতক।"

কথা কৈ কৈ মেম আগফালে যাবলৈ ল'লে। পিছে পিছে গৈ থাকিল প্ৰিয়াও,

"মেম, মই বেলেগ কথা এটাহে ক'ব লৈছিলোঁ।"

"কি বেলেগ কথা?"

"মেম, সন্ধ্যাৰ আচলতে--"

তাইক ক'বলৈ নিদি ৰখাই দিলে মেমে,

"সেইবোৰ কথা এতিয়া থাকক প্ৰিয়া। জুপিতৰা মেমে সিদিনা কৈছেই, ভাৰ্চিটী উইকটো গৈ লওঁক। তাৰ পাছত বিচাৰ বহিব।"

মেম কথা কৈ কৈ বাহিৰ পালেগৈ। প্ৰিয়াও গৈ আছে লগে লগে,

Kaushik

"কিন্তু মেম সন্ধ্যাৰ দোষ একো নাই। চবেই তাইক ভুল--"

"দোষ আছে নে নাই সেয়া সময়ত ওলাব। এতিয়া এইবোৰ বাদ দি ভাৰ্চিটী উইকৰ কামত লগা। এইবাৰতো শেষেই তোমালোকৰ।"

কথাৰ মাজত মেম গৈ হোষ্টেলৰ গেট খুলি বাহিৰ পালেগৈ। বাৰাণ্ডাতে ৰৈ গ'ল প্ৰিয়া। উভতি চাওঁতে দেখে সমুখৰ ৰুমত সন্ধ্যা ৰৈ আছে। তাইৰ ওচৰ পাই প্ৰিয়াই ক'লে,

"ৱাৰ্ডেন মেমৰ ৰ'বলৈকে সময় নাই। মই নন্দিনীৰ ৰুমৰ পৰা আহোঁ।"

আগুৱাই যাবলৈ ধৰা প্ৰিয়াক আগভেটি ধৰিলে সন্ধ্যাই,

"প্ৰিয়া প্লিজ, এবাৰ কথাটো শুন।"

"নুশুনোঁ, একো নুশুনোঁ মই। মুঠতে মই ক'মেই চবকে।"

সন্ধ্যাক লাহেকৈ ঠেলা এটা মাৰি প্ৰিয়া সোৰণশিৰীৰ প্ৰিফেক্ট নন্দিনীৰ ৰুমলৈ আগবাঢ়িল। পিছে পিছে সন্ধ্যাও গৈ আছিল। এনেতে হঠাৎ প্ৰিয়াৰ মোবাইলটো বজাত তাই ৰৈ গ'ল। মাকে ফোন কৰিছে। প্ৰিয়াই ফোনটো উঠালে,

"অঁ মা, কোৱা।"

"কি কৰিছা মাজনী? ভালে আছা নে?"

"আছোঁ মা। কোৱাচোন।"

"আমি গুৱাহাটীলৈ গৈ আছোঁ, দেউতাৰ গাটো অলপ বেয়া।"

চিঞৰি দিলে প্ৰিয়াই,

"কি? গুৱাহাটীলৈ? দেউতাৰ বেছি বেয়া নেকি মা? মই যাওঁ নহ'লে।"

সিফালৰ পৰা মাকে কৈছে,

"নাই নাই। তুমি আহিব নালাগে। আহিব লগা হ'লে মাতিম। এই আগৰ হাৰ্টৰ প্ৰব্লেমেই। ভাবিছোঁ এবাৰ গুৱাহাটীত দেখুৱাই আহোঁ। আহোঁতে তোমালোকৰ তাত সোমাব পাৰোঁ।"

কথাখিনি কৈ ফোনটো কাটিলে মাকে। ৰৈ গ'ল প্ৰিয়াৰ দুভৰি। হাৰ্টৰ অসুখত ভোগা দেউতাকৰ ছবিখন ভাঁহি আহিল মনত। উশাহ ল'বলৈ কষ্ট পাই দেউতাকে যেতিয়া

Kaushik

ঘন ঘনকৈ উশাহ টানে, প্ৰিয়াৰো উশাহবোৰ চুটি হৈ আহে। কেতিয়াবা দেউতাকৰ বুকুখন মালিছ কৰি দিওঁতে তাইৰো বুকুখনত কিহবাই হাঁহাকাৰ তোলে। কি কৰে এতিয়া তাই! সন্ধ্যাক দোষমুক্ত কৰি নিজৰ মূৰত ল'বনে দোষবোৰ? হোষ্টেলৰ পৰাতো চিধা ঘৰলৈ ফোন কৰিব। তাই ল'ৰাৰ লগত ৰাতি কটাবলৈ যোৱাৰ কথাটো শুনি কি অৱস্থা হ'ব দেউতাকৰ? ঘৰখনৰ? আৰু ভাবিব নোৱাৰিলে তাই। চকুৰেদি বৈ আহিল তপত অশ্ৰু। এনেতে সন্ধ্যাই তাইৰ কাষ পালেহি,

"কি হৈছে দেউতাৰ প্ৰিয়া?"

"দেউতাক গুৱাহাটীলৈ নিছে। হাৰ্টৰ অসুখ।"

ফেঁকুৰি উঠিছে প্ৰিয়া,

"সন্ধ্যা, মই কি কৰোঁ ক। তোক চবেই এনেকুৱা ব্যৱহাৰ কৰা চাব নোৱাৰোঁ। কিন্তু কোনসতে এতিয়া কথাবোৰ কওঁ? কেনেবাকৈ যদি ঘৰত গম পাই, মাহঁত যে---"

কথাটো শেষ নকৰি কান্দি দিলে প্ৰিয়াই। সন্ধ্যাই তাইক নিজৰ ৰূমলৈকে লৈ গ'ল। বিচনাত বহোৱাই পানী অকণ খোৱালে। তাৰ পাছত লাহে লাহে বুজালে,

"মইতো কৈছোঁৱেই, এতিয়া কাকো একো ক'ব নালাগে। যি হৈ আছে হৈ যাবলৈ দে। ভাৰ্চিটী উইকৰ পাছতে এদিন জুপিতৰা মেমৰ ওচৰলৈ যাম আমি দুইজনী। মই জানো মেমে আমাৰ কথাটো বুজি পাব। এতিয়া এইবোৰ কথা ওলালে হোষ্টেলৰ পৰিৱেশতো আৰু বেয়া হ'ব।"

সন্ধ্যাৰ হাতখন নিজৰ মাজত লৈ প্ৰিয়াই ক'লে,

"কিন্তু তই আৰু কিমান সহ্য কৰিবি?"

"একো নহয় মোৰ। এতিয়া তইতো আছ। পাৰিম মই।"

প্ৰিয়াই সাৱটি লৈছিল সন্ধ্যাক। তাইৰ মূৰটো মৰমেৰে পিহি দিছিল সন্ধ্যাই। আবেলিটো শেষ হৈ নামি আহিছিল প্ৰশান্তিৰ সন্ধিয়া।

"মই Essentialতে আছোঁ, তই আহ"

kaushik

ইউনিভাৰ্চিটীত থাকি এই শাৰীটো যদি কোনোবাই এবাৰলৈও কোৱা নাই, তেন্তে তেওঁ তেজপুৰ ইউনিভাৰ্চিটীৰ নিচা পোৱাই নাই। সঁচাকৈ, দিনটোৰ অপৰিহাৰ্য অংগ যেন Essential।

অভিমন্যুয়েও ফোনত সন্ধ্যাক সেইটো কথাই ক'লে এইমাত্ৰ। সি essentialত কাৰোবাৰ লগত কথা পাতি আছে, তাইক মাতিছে। তাই গ'লেই ওলাই যাব দুইটা। এৰা, কিমান দিনৰ মূৰত যে আজি তাই কেম্পাছটোত উৎপাত কৰিব। আগৰ সেই ৰাংঢালী সন্ধ্যাজনী হৈ পৰিব। সোনকালেই ওলাই আহিল সন্ধ্যা। Essentialতে বৈ আছিল অভিমন্যু। কোনোবা লগৰ এজনৰ লগত কথা পাতি পাতি। সন্ধ্যা গৈ পোৱাত লগৰ জনে বিদায় ল'লে। সিহঁত গেটৰ বাহিৰলৈ গ'ল। গোবিনত এপাক নোসোমালে সন্ধিয়াটো যেন অপূৰ্ণ হৈ ৰয়।

"আৰে অভিমন্যু দাদা, কি খবৰ? এত দিনৰ মূৰত ৰেই।"

অভিমন্যুহঁত সোমোৱাৰ লগে লগেই গোবিনৰ দাজুৱে বহাৰ পৰা উঠি আহি মাত লগালেহি। অভিমন্যুয়েও তেওঁৰ লগত কথা পাতিবলৈ লাগিল। সন্ধ্যাৰ ভাল লাগে এই মৰমবোৰ। সমাজে "সৰু" মানুহ আখ্যা দিয়া দাজুহঁতৰ দৰে মানুহখিনিৰ মাজতহে আচলতে নিভাঁজ স্নেহবোৰ আছেগৈ। নহ'লেতো আজিকালি মৰম আৰু মলমবোৰ একেই, ভেঁজাল। বিষবোৰ বেছিহে হয়।

"দুটা ফ্ৰাইড ৰাইচ, চিকেন।"

অৰ্ডাৰ দিলে অভিমন্যুয়ে। সন্ধ্যাই হাঁহি মাৰি ক'লে,

"আজি তই খোৱাবিতো? নে আগৰ নিচিনাকে পইচা নাই বুলি ক'বি?"

জোৰকৈ হাঁহি উঠিছিল অভিমন্যুয়েও। এৰা, আগতে যে সেইটো তাৰ নিয়মীয়া সংলাপ। সময়বোৰ ইমান সোনকালে দৌৰে। পাঁচ বছৰ চকুৰ আগত শেষ হৈ গ'ল।

"খোৱাম দে। আজিকালি স্কলাৰ ছিপ পাওঁতো।" কথাটো কৈয়ে অভিমন্যুৰ বাটলৈ চকু পৰিল। লগে লগে চিঞৰি উঠিল সি,

"প্ৰিয়ানুজ দা, অ' প্ৰিয়ানুজ দা। এইফালে আহক।"

বাটত তভক মাৰি ৰৈছিল প্ৰিয়ানুজ। এই যে ক'ৰবাত দেখিলেই উকিটো মাৰি মাত দিব পৰা মানুহ, খুব কম আজিকালি। সমুখত দেখিলেই মানুহে মুখ ঘূৰাই, উকি মাৰি

Kaushik

আৰু কোনে মাতিব! চিঞৰটোতে প্ৰিয়ানুজে অনুমান কৰিছিলেই, গোবিনলৈ আহি সিও চিঞৰি উঠিল,

"আৰে আমাৰ শৰ্মা দেখোন। ক'ৰ পৰা হঠাৎ এনেকে?"

"একদম দিল্লীৰ পৰা। ক'ৰোনাৰ ভয়ত পলাওঁতে ভাবিলোঁ ইয়াতো এপাক সোমাই যাওঁ। আপোনালোকেতো ডিচেম্বৰত কঁপাই থৈছে ইউনিভাৰ্চিটী।"

তাৰ কথাত একেলগে হাঁহি উঠিল গোটেই কেইটাই। অলপ সময় কথা পাতি প্ৰিয়ানুজে ক'লে,

"মই গৈ থাকোঁ দিয়া। ৰাতি লগ পাম। চাহ একাপ খাই খোজকাঢ়িম বহুত দিনৰ মূৰত একেলগে। সন্ধ্যা, আহোঁ দেই।"

কথাটো কৈ প্ৰিয়ানুজ গ'ল গৈ। মনত পৰিছিল অভিমন্যুৰ, আগতে মাজৰাতি হাতত চাহৰ কাপ লৈ ইউনিভাৰ্চিটীৰ অলিয়ে গলীয়ে কম ঘূৰে নে সি আৰু প্ৰিয়ানুজ! কত যে কথা। দেশৰ ৰাজনীতি, নাটক, জুবিনৰ গান একো বাদ নপৰে। বহুদিনৰ মূৰত আজি আকৌ সেইটো অনুভৱত পুলকিত হৈ পৰিল সি। বয়টোৱে ফ্ৰাইড ৰাইচ দিলেহি। এচামুচ মুখলৈ নি অভিমন্যুয়ে সন্ধ্যাক সুধিলে,

"কচোন এতিয়া, কি হৈ আছে এইবোৰ?"

সন্ধ্যাই নুবুজাৰ দৰে তাৰ ফালে চোৱাত সি আকৌ ক'লে,

"মোক অনুৰণে কৈছে কথাবোৰ।"

সন্ধ্যাই অলপ ৰৈ লাহে লাহে ক'লে,

"কথাবোৰ তহঁতে ভবাৰ দৰে নহয় অভি।"

"সেইটোতো মই জানোৱেই। সেইটো ক্লেৰিফিকেচন খোজা নাই তোক। আচল কথাটো ক কি হৈছিল?"

"কথাবোৰ ক বুলিলেই কৈ দিব পৰাকৈ ইমান সহজ নহয়। ইচ্ছা কৰি জানো কোনোবাই কষ্ট লৈ ভাল পাই ক? মই জানো চখত কৰি আছোঁ এইবোৰ? কিন্তু কৰিছোঁ যেতিয়া কিবা কাৰণ আছে বাবেই কৰিছোঁ।"

Kaushik

সন্ধ্যাই গহীন হৈ কোৱা কথা কেইটাই অভিমন্যুক আৰু চিন্তাত পেলালে। সি ইমান দিনে চিনি পোৱা সন্ধ্যা যেন এইজনী নহয়। সি তো অকণমান সৰু কথাতে অভিমান কৰা, দৌৰি ফুৰা, নাচি বাগি থকা সৰু ছোৱালী এজনী এৰি থৈ গৈছিল। কিন্তু তাৰ সলনি যেন তাৰ সমুখত বহি আছে এজনী স্থিৰ, অভিজ্ঞ আৰু ধীৰ এগৰাকী নাৰী। হয়তো কষ্টবোৰে সন্ধ্যাক নিজকে সামৰিবলৈ শিকালে, নিসংগতাই নিজক পূৰ্ণ কৰিবলৈ শিকালে, একাকীকত্বই শক্তিৰে থিয় দিবলৈ শিকালে। এৰা, সন্ধ্যা সঁচাই ডাঙৰ হ'ল। তাইৰ এই নতুন শক্তিশালী ৰূপটো অভিমন্যুৰ ভাল লাগিছিল যদিও ভয়ো হৈছিল কেনেবাকৈ এইবোৰৰ মাজত সৰল, মৰম আকলুৱা সন্ধ্যাজনী হেৰাই নাযায়তো! নাই, নাযায়। অভিমন্যুয়ে জানে, সময়ৰ সোঁতত হেৰাই যোৱা ছোৱালী সন্ধ্যা নহয়। সময়ৰ ইমানো শক্তি নাই যে সন্ধ্যাৰ মাজৰ পৰা সন্ধ্যাক কাঢ়ি নিব পাৰে। অতবোৰ কষ্টৰ মাজতো সাহসেৰে থিয় দি থকা এই নাৰী গৰাকীৰ প্ৰতি অভিমন্যুৰ শ্ৰদ্ধা জন্মিছিল।

গোবিনত থাই সিহঁত আকৌ কেম্পাছৰ ভিতৰ পালেহি অলপ সময় এনেই গলীবোৰত খোজকাঢ়িছিল সিহঁতে। মাজতে সন্ধ্যাই সুধিলে,

"বাকী ক, পথীৰ লগত কেনে চলি আছে?"

"ভাল ভাল। আচৰিত আণ্ডাৰষ্টেণ্ডিং থকা ছোৱালী তাই।"

ইঁহাৰ দৰে কৰি সন্ধ্যাই কৈছিল,

"তাইক এইবোৰ নক'বি। তাই অহাৰ কথা আছেই। মই নিজেই ক'ম চব।"

অলপ সময় ৰৈ অভিমন্যুয়ে সুধিলে,

"সন্ধ্যা, তই অলপ সলনি হৈছ।"

"কেনেকুৱা সলনি?"

"ইমান গহীন নাছিলিতো তই।"

"তোৰ নিচিনা চেৰা বলিয়া হ'ব লাগে মানে?"

হাঁহি পেলাইছিল দুইটাই। সন্ধ্যাই আকৌ ক'লে,

"তই যোৱাৰ পাছতে বহুত কিবা কিবি হৈ গ'ল অভি। তইও ব্যস্ত হৈ গ'লি। প্ৰথমে দুখ লাগিছিল, কিন্তু এতিয়া বুজিছোঁ এইবোৰো জৰুৰী আছিল। জীৱনটোত আগুৱাই যাবলৈ এইবোৰ অভিজ্ঞতা লাগেই।"

Kaushik

"ঠিকেই কৈছ। সাহসী কৰে এইবোৰে। আগবাঢ়িবলৈ শিকায়। মাত্ৰ এইবোৰৰ মাজত নিজক হেৰুৱাই নিদিবি।"

"কিয়, তোৰ লাগিছে নেকি মই নিজক হেৰুৱাইছোঁ বুলি?"

"নাই লাগা। বিশ্বাস আছে তোৰ ওপৰত।"

সন্ধ্যাৰ বাহুত ধৰি নিজৰ ফালে টানি আনিছিল অভিমন্যুয়ে। আগুৱাই আহিছিল সন্ধ্যাও। একো সংকোচ নাই, এই সম্বন্ধ ভৰষাৰ, বিশ্বাসৰ। পৃথিৱীৰ কলুষতাই চুব নোৱাৰাকৈ ওখ।

সোৱণশিৰীৰ মুখ পাই সন্ধ্যা যাবলৈ ওলাল। অভিমন্যুয়ে শেষ বাৰলৈ সুধিলে তাইক,

"পাৰিলে কৈ দে নহ'লে কথাটো।"

"পৰা হ'লে তোক জানো নোকোৱাকৈ থাকোঁ অভি? ইয়াত অকল মোৰ কথা নাই। কাৰোবাৰ জীৱনৰ কথা আছে। কেইদিন মান ৰৈ দে। সকলো কথা ওলাব।"

আৰু একো কোৱা নাছিল অভিমন্যুয়ে। বিশ্বাস জন্মিছিল তাৰ নিজৰ ভৰ উঠাব পৰাকৈ সক্ষম আজি সন্ধ্যা। তাৰ হাতখনত ধৰি সন্ধ্যাই ক'লে,

"তোৰ প্ৰেজেন্সটোৱেই মোৰ কাৰণে যথেষ্ট অভি। মোৰ ষ্ট্ৰেংথ হয় তই।"

কথাটো কৈ ভিতৰলৈ গ'ল তাই। মনটো ভাল লাগিছিল অভিমন্যুৰ। এৰা, কাৰোবাৰ জীৱনত শক্তি হ'বলৈ পোৱাটোও জানো ভাগ্যৰ কথা নহয়!

পাটকাইলৈ উভতিবলৈ লওঁতেই হঠাৎ পৰীক দেখি ৰৈ গ'ল অভিমন্যু,

"কি খবৰ পৰী?"

"হাৰে অভিমন্যু দেখোন। কেতিয়া আহিলা?"

"আজি পালোঁহি। কোৱা খবৰ।"

"আছোঁ আৰু দিয়া। ভাৰ্চিটী উইকৰ দৌৰা দৌৰি। তুমি আছাতো দুদিনমান?"

পৰীৰ ব্যৱহাৰত পৰিৱৰ্তন দেখিছিল অভিমন্যুয়ে। সকলো কথাৰে বেঁকাকৈ উত্তৰ দিয়া পৰী যেন আগতকৈ অলপ সলনি হৈছিল। অলপ সময় কথা পাতি অভিমন্যুয়ে কথাটো উলিয়ালে,

Kaushik

"বাকী এইবোৰ কি হৈ আছে অ' সন্ধ্যাৰ লগত? কেনেবাকৈ তুমি কৰি থকা নাইতো?"

পৰীয়ে হাঁহি মাৰি ক'লে,

"তুমি কিয় তেনেকৈ মই বুজি পাইছোঁ। কিন্তু কি জানা, সন্ধ্যাক মই লাষ্ট ছেমিষ্টাৰতহে ভালকৈ বুজি পালোঁ।"

লগতে পৰীয়ে আগৰ ছেমিষ্টাৰত সন্ধ্যাই তাইক কৰা সহায়ৰ কথাখিনি ক'লে। সকলো শুনি অভিমন্যুয়ে সুধিলে,

"সেইটোলৈকে বাৰু বুজিলোঁ। কিন্তু পৰী, মনত আছে নে আমি যে সেই অগ্নিগড় গৈছিলোঁ, কৌশিকৰ ঘটনাটো যে ঘটিছিল। তেতিয়া তুমি কাৰোবাৰ লগত ফোনত কথা পাতি কৈছিলা, তুমি আহা কিবা হ'লে মই চম্ভালিম। কোন আছিল সেয়া?"

অভিমন্যুৰ কথাত পৰীয়ে হাঁহি মাৰি ক'লে,

"বাপ ৰে, তোমাৰ মেমৰী কিন্তু মানিছোঁ। সেইটো মোৰ বয় ফ্ৰেণ্ড আছিল বাবা। চব থকাৰ কাৰণে সি নাহোঁ বুলি কৈছিল। চ' মই তেনেকৈ কৈছিলোঁ।"

অভিমন্যুয়েও হাঁহিছিল তাৰ অনাহক সন্দেহত। পৰীৰ নিষ্পাপ হাঁহিত তাৰ বিশ্বাস হৈছিল যে তাই নিৰ্দোষী।

"ঠিক আছে দিয়া, মই গৈ থাকোঁ তেন্তে।"

বুলি পৰী সোৱণশিৰীলৈ সোমাবলৈ ল'লে। অভিমন্যুয়ে আকৌ সুধিলে,

"তোমাৰ হোষ্টেল কপিলী নহয় জানো?"

"অঁ কপিলীয়েই। মই প্ৰিয়াৰ ওচৰৰ পৰা আহোঁ। বেচেৰী ইমান দিনৰ মূৰত আজিহে আহিছে ঘৰৰ পৰা। খবৰ এটা লৈ আহোঁ।"

"ঘৰৰ পৰা? কিয়?"

"তাই ঘৰলৈ গৈছিল। গৈ তাতে বেমাৰত পৰিল গৈ। আজি হে আহিছে।"

পৰীৰ কথাত হঠাৎ যেন কিবা এটাই খেলাই গ'ল অভিমন্যুৰ মূৰত। অথনি অনুৰণে প্ৰিয়াৰ কথা একো কোৱা নাছিল কিন্তু। সি পৰীক আকৌ সুধিলে,

Kaushik

"আটছা পৰী, প্ৰিয়া ঘৰলৈ কেতিয়া গৈছিল?"

"ঘৰলৈ মানে, যোৱাতো দিন হ'ল। এক্সেট ডেটটো মনত নাই।" অলপ সময় ৰৈ আকৌ মনত পৰাৰ দৰে পৰীয়ে ক'লে,

"অঁ অঁ মনত পৰিছে, এই সন্ধ্যাৰ যে ঘটনাটো হৈছিল। সেইদিনাই গৈছিল।"

কৈয়ে পৰী সোৱণশিৰীলৈ সোমাই গ'ল। ক'ৰবাত যেন কিবা এটা বুজি পাইছিল অভিমন্যুয়ে। "ইয়াত অকল মোৰ কথা নাই। কাৰোবাৰ জীৱনৰ কথা আছে।" সন্ধ্যাৰ এই কথাটো মনলৈ আহিছিল তাৰ। লাহে লাহে যেন পোহৰলৈ আহিছিল এখন মুখ। কথাবোৰ মনতে জুকিয়াই পাটকাইলৈ খোজ ল'লে অভিমন্যুয়ে।

পিছদিনা এপাক ডিপাৰ্টমেন্টলৈ গ'ল অভিমন্যু। দহ বজাৰ ব্ৰেকটোতে গৈছিল সি। এইখিনি সময়ত গোটেইবোৰক লগ পোৱা যাব কেন্টিনতে। তাক দেখিয়ে জুৰিহঁত চব আগবাঢ়ি আহিছিল,

"বাপৰে, মনে মনে আহি লুকাই আছ ন?"

"আগতকৈ হেণ্ডচাম হৈছ কিন্তু দেই।"

"কেনে পাইছ দিল্লীত?"

অভিমন্যুয়ে পাৰে মানে উত্তৰ দি গৈছে। সন্ধ্যা তাত নাই। তাইৰ কথা উলিওৱাও নাই কোনেও। কথাৰ মাজতে অভিমন্যুয়ে ক'লে,

"আমি গোটেইবোৰে পাৰ্টী এটা কৰিব লাগিব কিন্তু দেই।"

জুৰিয়ে লগে লগে কৈছে,

"অঁতো আকৌ। কৰিম কৰিম। মোৰ এই বিহু কম্পিটিচনটো গৈ লওঁক ৰহ। প্ৰেক্টিছৰ পৰা টাইমেই নাপাওঁ নহয়।"

"ঠিক আছে একো নাই। আজৰি হৈ ল।"

অলপ সময় কথা পাতি অভিমন্যু আঁতৰি আহিছিল। জুৰিহঁতো ব্যস্ত হ'ল নিজৰ সৈতে। তললৈ আহিবলৈ লওঁতেই অভিমন্যুয়ে মন কৰিলে কেন্টিনখন পাৰ হৈ আহি ডীনৰ

Kaushik

অফিচৰ সমুখৰ গ্ৰীলৰ ওচৰতে থিয় হৈ তললৈ চাই ৰৈ আছে প্ৰিয়া। অভিমন্যু তাইৰ ওচৰ পালেগৈ,

"কি খবৰ প্ৰিয়া?"

সজল চকুযোৰ লৰালৰিকৈ মোহাৰি প্ৰিয়াই ক'লে,

"হাই, মোৰ ভালেই। তোমাৰ কোৱা। সন্ধ্যাই কৈছিল তুমি আহিছা বুলি।"

"আহিছিলোঁ, কিন্তু ইয়াত এইবোৰ দেখি শুনি ভাবিছোঁ নহা হ'লেই ভাল আছিল নেকি।"

"কিয়? কি হ'লনো?"

"সন্ধ্যা আৰু ময়ূঁৰৰ এইখন যি হে ৰাসলীলা শুনিছোঁ মইতো আৰু---"

অভিমন্যুৰ কৈ নহওঁতেই প্ৰিয়াই ক'লে,

"তুমিও কি সন্ধ্যাক এনেকুৱা বুলি ভাবা?"

"ভাবিবলে কি আছে? চবেই কৈছে যেতিয়া হয়ে আৰু। ছিঃ, লাজ পাব লাগে এইচব কৰিবলে।"

হঠাৎ চিঞৰি উঠিছিল প্ৰিয়াই,

"শ্বাট আপ অভিমন্যু। সন্ধ্যাৰ কথা তেনেকৈ ক'বলৈ তুমি কোন? কি প্ৰমাণ আছে এইবোৰ কথাৰ? কিজানি তাই আন কাৰোবাৰ বাবেহে এইবোৰ কৰি আছে। তাইক অন্ততঃ তুমি বুজি পাব লাগিছিল।"

কথাখিনি কৈ ফোঁপাইছিল প্ৰিয়াই। লগে লগে ক্লাছৰ ফালে খোজ লৈছিল তাই। প্ৰিয়া যোৱাৰ ফালে চাই সন্তুষ্টিৰ হাঁহি মাৰি অভিমন্যুয়ে নিজক কোৱাৰ দৰেই কৈছিল,

"So, its Priya"

আজি ভাৰ্চিটী উইকৰ বিহু। আবেলি হোৱাৰ লগে লগে সন্ধ্যাৰ ওচৰলৈ আহিছিল প্ৰিয়া। সন্ধ্যাৰ হাতত ধৰি কৈছিল তাই,

"পাৰিলে মোক ক্ষমা কৰি দিবি অ'। মোৰ কাৰণে আজি নাচিব নোৱাৰিবি তই।"

Kaushik

সন্ধ্যাই হাঁহি মাৰি ক'লে,

"ধুৰ, কোনে কৈছে নাচিব নোৱাৰিম? ষ্টেজৰ তলত এনেকুৱা নাচিম জাজে ঘূৰি চাব লাগিব। চাওঁচোন কোনে কি কয়।"

হাঁহি পেলাইছিল প্ৰিয়াইও সন্ধ্যাৰ কথাত।

কমিউনিটী হলত সোমায়েই বুকুখনত কিহবাই যেন শালি পেলাইছিল সন্ধ্যাৰ। মুগাৰ সাজেৰে ভৰি পৰিছে। ঢোলৰ গুমগুমণি ভাহি আহিছে। এইয়াই যে শেষ, ইয়াৰ পাছত আৰু তাই ভাৰ্চিটী উইকত নাচিব নোৱাৰে। এই শেষৰ বাৰো সময়ে এনে নিষ্ঠুৰ খেলা খেলিলে। হলটোত সন্ধ্যাক দেখি বহুতে ফুচফুচাইছে, কোনোবাই হাঁহিছে। প্ৰিয়াই ইটো সিটো কথা কৈ সন্ধ্যাক ব্যস্ত কৰি ৰাখিছে। এবাৰত সন্ধ্যাই ক'লে,

"আমাৰ ইহঁতবোৰ আহিল নে চাই আহোঁ গ্ৰীণ ৰূমত ব'ল চোন।"

প্ৰিয়াৰ যাবলৈ মন নাছিল। ঘপকৈ সন্ধ্যাক কোনোবাই কিবা কৈ দিলে তাইৰ অসহ্য লাগিব। তথাপি সন্ধ্যাই যাওঁ বুলি কোৱাত গ'ল। সোৱণশিৰীৰ কবিতা, মাধুৰীমা, মনীষা, ৰিমলিহঁত একেলগে ৰৈ আছে গ্ৰীণৰূমৰ এচুকত। প্ৰিয়াই ভয় কৰাৰ দৰে সিহঁতে একো নক'লে সন্ধ্যাক। সন্ধ্যাই গোটেই কেইজনীক মৰম কৰি ক'লে,

"খুব ভালকৈ নাচিবি। ধুনীয়া হ'ব।"

সিহঁতৰ কাষতে ঢুলীয়া ল'ৰা কেইটা আছিল। চিৰঞ্জীৱক নেদেখি সন্ধ্যাই আদিত্যক সি ক'ত আছে সোধাত আদিত্যই বাহিৰৰ বাৰাণ্ডালৈ আঙুলিয়ালে। সন্ধ্যা চিৰঞ্জীৱৰ ওচৰ পালেগৈ। পিঠিত ঢোলটো লৈ মুখখনত এসোপা ডাৱৰ ওলোমাই বাৰাণ্ডাৰ ষ্টেপত বহি আছে। সন্ধ্যাও তাৰ কাষতে বহিল,

"কি হ'ল? মোৰ ঢুলীয়া ইয়াত অকলে বহি আছে যে?"

চিৰঞ্জীৱে তাইলৈ অলপ চাই ক'লে,

"হোষ্টেলৰ দায়িত্বত হে ঢোল বজাম বা। কিন্তু আমি নিজিকোঁ।"

"ধেৎ, কিয় তেনেকৈ কৈছা?"

"কাৰোবাৰ মনত আঘাত দি সফলতা পাব নোৱাৰি সন্ধ্যা বা।"

চিৰঞ্জীৱে চলচলীয়া চকুৰে কৈছিল। সন্ধ্যাই তাৰ গালত হাত ফুৰাই মৰম কৰিছিল,

Kaushik

"নাপাই এনেকৈ ক'ব। মোক কোনেও আঘাত দিয়া নাই, এইবোৰ নিজে ঘটি লোৱা মই। খুব ভালকৈ ঢোল বজাবা। মই নাচিম।"

"আপুনি নাচিব?" চিৰঞ্জীৱ আচৰিত হৈছিল।

সন্ধ্যাই হাঁহি মাৰি ক'লে,

"নাচিমতো। ষ্টেজৰ তলত, তুমি দেখাকৈ নাচিম। বজাবাতো ভালকৈ?"

"চিওৰ বা। বজাম মই।" তাৰ চকু দুটা তিৰবিৰাইছিল। তাৰ চুলিখিনি হাতেৰে জোকাৰি দি সন্ধ্যা দৰ্শকৰ মাজলৈ গ'ল।

প্ৰথমতেই পাটকাই আৰু প্ৰাগজ্যোতিকাৰে আৰম্ভ হৈছিল বিহু। জুৰিয়ে খুব ধুনীয়া নাচিছে। তলৰ পৰাই কিৰিলি পাৰিছিল সন্ধ্যাহঁতে। তাৰ পাছতেই চৰাইদেউ আৰু সোৱণশিৰী। চিৰঞ্জীৱে যোজনা দিছিল,

"দিখৌত গুমেগুমাই কোম্পানীৰ জাহাজ ঐ

ঢেঁকীত গুমেগুমাই ঠোৰা,

বুকু চমেচমাই দেহা তনেতনাই

তোমাক সোণ দেখাৰে পৰা"

Kaushik

সকলোৰে আগত থিয় হৈ নাচিছিল সন্ধ্যাই। চিৰঞ্জীৱৰে এবাৰ চকুৱে চকুৱেও পৰিছে। প্ৰাণ ঢালি ঢোল বজাইছিল সিও। ঢোলৰ চেওঁতে চকুপানী নিগৰিছিল সন্ধ্যা আৰু চিৰঞ্জীৱ দুয়োৰে। প্ৰায় দুঘন্টা মান ধৰি চলা প্ৰতিযোগিতাত হেঁপাহ পলুৱাই তলতে নাচিলে সন্ধ্যাই।

"প্ৰথম পুৰস্কাৰ প্ৰাগজ্যোতিকা আৰু পাটকাই"

লগে লগেই পাটকাইৰ ল'ৰাবোৰৰ বুকু কঁপোৱা চিঞৰ। ইয়াৰ পাছতে আকৌ ঘোষণা,

"শ্ৰেষ্ঠ বিহুৱতী প্ৰাগজ্যোতিকাৰ জুৰি"

"শ্ৰেষ্ঠ ঢুলীয়া চৰাইদেউৰ চিৰঞ্জীৱ"

কিৰিলি পাৰি উঠিছিল সন্ধ্যাই। চিৰঞ্জীৱক দাঙি লৈছিল চৰাইদেউৰ ল'ৰাবোৰে। সোৱণশিৰী এইবাৰ নিজিকিল। একো স্থানেই নাপালে। অপৰাধবোধেৰে সন্ধ্যাক সাৱটি ধৰিছিল প্ৰিফেক্ট নন্দিনীয়ে। সন্ধ্যাই মৰমেৰে বুজাইছিল।

গ্ৰীণৰুমৰ পৰা ওলাই আহোঁতেই কাজল আৰু জুৰিক দেখি জুৰিক সাৱটি ধৰিলে সন্ধ্যাই,

"কংগ্ৰেচুলেচন ডাৰ্লিং। বহুত বহুত ভাল লাগিল। একদম পাৰ্টি দিবি কিন্তু।"

উত্তৰত জুৰিয়ে মাত্ৰ সেমেকা হাঁহি এটাৰে মূৰ দুপিয়াইছিল। সন্ধ্যা আঁতৰি যোৱাৰ পাছত তাই কাজলক ক'লে,

"দেখিলা কাজল, এসময়ত তুমি প্ৰিফেক্ট থাকোঁতে এইৰ কথা শুনিয়েইতো মোক নাচিবলৈ নিদিওঁ বুলি কৈছিলা। আজি মোক কংগ্ৰেচুলেচন দিছে তাই।"

কাজল আচৰিত হৈছিল,

"সন্ধ্যাৰ কথা শুনি? কেতিয়া?"

"কিয়? তাইক যে মই গগণা দিয়াৰ কথাটো তোমাক কৈছিলেহি।"

"কিন্তু জুৰি, গগণা দিয়াৰ কথাটো মোক সন্ধ্যাই কোৱা নাছিলতো।"

চঁক খাই উঠিল জুৰিয়ে,

"কি?"

"অঁতো। সেইটো মোক বেলেগ এজনী ছোৱালীয়েহে কৈছিল।"

কোনোমতে নপৰাকৈ থিয় হৈ ৰৈছিল জুৰি। কি শুনিছে তাই? তাৰ মানে অতদিনে সন্ধ্যাক ভুল বুজিয়েই কটালে। ছিঃ, নিজলৈ ঘিণ লাগিছে তাইৰ। এনে এটা মাৰাত্মক ভুল কেনেকৈ কৰিলে তাই! সন্ধ্যাৰ নিচিনা ছোৱালী এজনীক কম কষ্ট দিছে নে। চকু পানী বৈ আহিছে জুৰিৰ। বিহুত জিকিও তাইৰ নিজৰ ওচৰতে হাৰি যোৱা যেন অনুভৱ হ'ল।

যাওঁ যাওঁ কৰা আবেলিটো মুখৰ কৰি তুলিছে জুৰি, অভিমন্যুহঁতৰ কোৰ্হালে। ভাৰ্চিটী উইক শেষ হ'ল। অভিমন্যুও যোৱাৰ কথা দুই এদিনতে। তাৰ আগতেই সিহঁত

Kaushik

গোটেইবোৰে এবাৰ লগ কৰাৰ প্লেন কৰিলে একেলগে। প্লেনটো অভিমন্যুৰেই আছিল। NSD ত ছিট পোৱা লৈ চবেই তাক পাৰ্টি দিবলৈ কৈয়ে আছিল। তাতে এইবাৰ জুৰি শ্ৰেষ্ঠ বিহুৱতী হোৱাৰ বাবে তাইকো সকলোৱে কিবা খোৱাবলৈ জোৰ দিছিল। সেয়ে সকলো মিলাই জুৰি আৰু অভিমন্যুয়ে মিলি আজিৰ আবেলিৰ খানাটো দিছে ইউনিভাৰ্চিটীৰ ভিতৰৰ কে এফতে। ইঞ্জিনিয়াৰিঙৰ ফালৰ এই ৰেস্তোঁৰাখনত সিহঁতবোৰৰ ইমান অহা নহয়। এনেকৈ কাৰোবাৰ পাৰ্টি থাকিলেহে আৰু।

এটা দুটাকৈ মানুহবোৰ আহি আছে। অনুৰণ, ৰাজদ্বীপহঁতো আহি পালেহি। বাহিৰৰ কোনো নাই, চব ক্লাছৰ চিনাকি খিনিয়েই। সিহঁতৰ পুৰণা লগৰবোৰ। নতুনৰ ভিতৰত অকল অনুৰাধাহে। প্ৰায় সকলোৱেই আহি পোৱাত খানাৰ অৰ্ডাৰ দিবলৈ লওঁতেই অনুৰাধাই ক'লে,

"সন্ধ্যা আৰু প্ৰিয়া অহা নাই। সিহঁতো আহি লওঁক নেকি?"

"অহ, সন্ধ্যাও আহিব নেকি?" সীমাই সুধিলে। অভিমন্যুয়ে লগে লগে ক'লে,

"মাতিবলৈ মন নাছিল, প্ৰিয়াই কোৱাৰ বাবে মাতি দিলোঁ।"

জুৰিহঁতে আচৰিত হৈ চাইছিল অভিমন্যুলৈ। হয়তো সি সন্ধ্যাৰ কথা এনেকৈ কৈ দিব বুলি ভবা নাছিল। অলপ পাছতে সন্ধ্যাহঁত আহি পালে। সন্ধ্যাই অলপ সংকোচ কৰি থকা অভিমন্যুয়ে গম পাইছিল যদিও একো কোৱা নাই। এনেতে সীমাই সুধিলে,

"সন্ধ্যা, ময়ূঁৰ নাহে নেকি?"

সীমাৰ কথাত মুখ টিপি হাঁহিছিল বহুতেই। সন্ধ্যাই সৰুকৈ কৈছিল,

"গম নাপাওঁ"

লগে লগে অভিমন্যুয়ে হাঁহি মাৰি সুধিলে,

"তই গম নাপালে কোনে পাব? আজি ৰাতিৰ প্ৰগ্ৰেম নাই?"

আচৰিত হৈ গৈছিল সন্ধ্যা। অভিমন্যুয়ে এইদৰে কৈছে তাইক! অনুৰণেও আচৰিত দৃষ্টিৰে চাইছে তালৈ। কি হৈছে অভিমন্যুৰ! তাৰ কথাতে সাহ পাই জুৰিয়ে ক'লে,

"সঁচাই সন্ধ্যা, কি কাম কৰিলি বাৰু তই এইটো?"

অভিমন্যুয়ে আকৌ ক'লে,

kaushik

"তোৰ ভোলা ভালা মুখখন দেখিলে কোনে ক'ব বাৰু তোৰ এনেকুৱা কেৰেক্টাৰ বুলি? বাই দা ৰে, অকল ময়ূঁৰেই নে আৰু কোনোবা আছে?"

তেনেকুৱাতে প্ৰিয়াই সকলোৱে শুনাকৈ জোৰকৈ চিঞৰি উঠিল,

"এনাফ। বহুত হ'ল। বহুত বেছি হ'ল।"

সন্ধ্যাই তাইক বহাবলৈ চালে,

"প্ৰিয়া, প্লিজ বহ।"

কিন্তু প্ৰিয়া যেন একোৱেই শুনিবলৈ সাজু নহয় আজি। সন্ধ্যাৰ হাতখন এৰুৱাই আৰু জোৰকৈ চিঞৰিলে,

"বহুত হ'ল সন্ধ্যা। আৰু নৰখাবি মোক। মই চব সঁচা কথা ক'ম আজি।"

অভিমন্যুৰ মুখত বিশেষ হাঁহিয়ে খেলি গৈছিল। সি যিদৰেই ভাবিছিল সকলো সেইদৰেই হৈছে। প্ৰিয়াই কৈ গৈছে,

"আজি অতদিন ধৰি সন্ধ্যাক যিটো ভুলৰ বাবে তহঁত চবেই ইমান বেয়া ব্যৱহাৰ কৰি আছ, তাই সেইটো ভুল কৰাই নাই।"

"মানে?" সীমাই সুধিলে।

"মানে সেইদিনা ৰাতি ময়ূঁৰ আৰু সন্ধ্যাই মোক নাৰ্চিংহোমত ৰাখিবলৈ গৈছিল।"

তাৰ পাছত প্ৰিয়াই গোটেই কথাবোৰ কৈ গৈছিল। কিদৰে কৌশিকৰ কথামতে তাই পাঁচ বছৰে অকল সন্ধ্যাৰ অনিষ্ট কৰিলে আৰু তাৰ পাছতো তাইৰ সন্মান বচাবলৈ কিদৰে সন্ধ্যাই নিজক বিপদলৈ ঠেলি দিলে। জুৰিহঁত চবৰে মাত বন্ধ হৈ গৈছিল। সন্ধ্যাই চকু মুদি আওজি দিছিল বেৰত। অনুৰণৰ চকুতো জিলিকিছিল পানীৰ টোপাল। গোটেই পৰিৱেশটোত যেন ভয়ানক নীৰৱতা বিয়পি পৰিছিল। এপাকত জুৰি উঠি আহিল। সন্ধ্যাৰ ওচৰত আঠু কাঢ়ি উচুপি উঠিল তাই,

"ক'ত পাঁৱ ইমান শক্তি তই?"

লগে লগে সীমা, নিমিষা, অনুৰাধা চবেই আগুৰি ধৰিলে সন্ধ্যাক। জুৰিয়ে তাইক সাৱটি হুকহুকাই কান্দি উঠিল,

"কি ক'ম তোক সন্ধ্যা, কি বুলি ক'ম তোক।"

Kaushik

"বুকুখনত কিমান মৰম ভৰাই ৰাখিছা সন্ধ্যা?" অনুৰাধাই ফেঁকুৰি কৈছিল।

বৈ অহা চকুপানীবোৰক ৰখোৱা নাছিল কোনেও। অশ্রুৰ লগতে বৈ যাবলৈ দিছে অতদিনৰ ঘৃণা, হিংসা আৰু অসূয়াক। বেয়াবোৰ নোহোৱা হৈ ঘূৰি আহিছিল পুৰণি দিনৰ হাঁহিবোৰ। সেইদিনাৰ সন্ধিয়াটো আটাইতকৈ উজ্জ্বল হৈছিল। আন্ধাৰতো যেন সকলোৰে চকুবোৰত ভালপোৱা উজলিছিল। খিলখিলিয়া হাঁহিৰ ফোঁৱাৰাই আঁতৰাইছিল অতদিনৰ কলীয়া এন্ধাৰক।

কে এফত খাই কথা পাতি আহি থাকোঁতেই এবাৰত অভিমন্যুয়ে ক'লে,

"অনুৰণৰ কিবা বস্তু আনিব লগা আছিল নহয় বাহিৰৰ পৰা।"

কথাটো বুজি নাপালে অনুৰণে। তাৰতো তেনে একো আনিব লগা নাই। অভিমন্যুয়ে অনুৰাধালৈ চাই চকু টিপ মৰাত তাইও লগে লগে ক'লে,

"অঁ অঁ আছিল। হেৰি তোমাৰ এ ফ'ৰ চাইজ পেপাৰ আনিব লগা আছিল যে।"

অনুৰাধাৰ ইংগিতটো বুজি জুৰিয়ে ক'লে,

"আৰু হেৰি সন্ধ্যাৰো কিবা এটা আনিব আছিল। কি আছিল?"

"কিবা মেডিচিন আছিল। তাই কৈছিল মোক।"

উত্তৰটো প্রিয়াই দিলে। লগে লগে অভিমন্যুয়ে ক'লে,

"তেন্তে সন্ধ্যা অনুৰণৰ লগতে আগবাঢ়। আমি অলপ উৎপাত কৰি মেলি লাহে ধীৰে যাওঁ।"

কথাৰ অৰ্থ এতিয়াহে বুজিছিল অনুৰণ আৰু সন্ধ্যাই। সিহঁত তেতিয়াও আঁতৰি নোযোৱাত জুৰিহঁতে ঠেলি ঠেলি পঠালে,

"যা হেৰৌ যা। পাঁচ বছৰ লাজ কৰি কৰিয়েই কটালি তহঁতে।"

অৱশেষত অকলে আঁতৰি আহিল সন্ধ্যা অনুৰণ।

Kaushik

কিনকিনীয়া বৰষুণত ছাতিটো মেলি লৈছে সন্ধ্যা আৰু অনুৰণে। অলপ সময় দুয়োৰে একো মাত নাই। পুৰণা বিল্ডিঙৰ কাষৰ ৰাস্তাটোৰে গৈ আছে সিহঁত। শব্দৰ নামত কেৱল বৰষুণৰ ছেৰ ছেৰ। এবাৰত অনুৰণেই ক'লে,

"ইমানো বিশ্বাস নাই ন মোৰ ওপৰত?"

"নহয় অ'। আচলতে--"

"হ'ব দিয়া। গম পাইছোঁ।"

"বেয়া পাইছা ৰণ?"

"আজিৰ পৰা কৰিবা এনেকুৱা?"

"নকৰোঁ।"

আকৌ অলপ সময় নীৰৱতা। অনুৰণে সুধিলে,

"কষ্ট হৈছিল তোমাৰ?"

"অলপ।"

"তুমি কান্দি থকা চাব নোৱাৰোঁ মই সন্ধ্যা।"

"কিয়?"

পবিতৰাৰ কাষতে গলীটোৰ মূৰত এজোপা কৃষ্ণচূড়া। সমুখত থকা পুখুৰীটোত দুলি আছে জোনটো। যেন অনুৰণ সন্ধ্যাৰ বাবেই জুমি চাইছে ডাৱৰ ফালি। জোনাকে লাইট নথকা ঠাই টুকুৰা ৰূপোৱালী কৰি তুলিছে। বৰষুণ অথনিতকৈ অলপ কমিছে। গছজোপাৰ তলতে ৰৈ গ'ল সিহঁত। অনুৰণে একো নোকোৱাত সন্ধ্যাই তাৰ চকুলৈ চাই সুধিলে,

"আজিও তুমি মনে মনে থাকিবা নে?"

"এই এটা কথাৰ বাবে পাঁচ বছৰ ৰৈছোঁ সন্ধ্যা। ইমান সহজে কেনেকৈ কওঁ?"

কথাটো কৈ সন্ধ্যাক কঁকালত ধৰি গাৰ কাষলৈ টানি আনিলে অনুৰণে। সন্ধ্যাৰ হাতৰ পৰা খহি পৰিছে ছাতিটো। অনুৰণে কাষলৈ নিছে তাইক। আৰু কাষলৈ। আজি যেন নাই একো দেৱাল, অভিমানৰ, সংকোচৰ। আকাশত জোনটোৱে ভালপোৱাৰ উৎসৱ

Kaushik

পাতিছে। বৰষুণে গাইছে প্ৰণয়ৰ সংগীত। বতাহত উৰি আহিছে কৃষ্ণচূড়াৰ এটি দুটি পাহি। সন্ধ্যাৰ দুগালত দুহাতেৰে ধৰি মুখখন আগুৱাই আনিছে অনুৰণে। সমুখলৈ অহা চুলি কেইডাল ঠেলি দিছে কাণৰ কাষলৈ। কমি আহিছে দূৰত্ব। অনুৰণৰ চকুৰ পতাই স্পৰ্শ কৰিছে সন্ধ্যাৰ চকু। জপাই দিলে তাই। অনুৰণৰ তপত উশাহে আৱৰিছে সন্ধ্যাক। তাইৰ বুকুৰ ভিতৰত যেন কোনোবাই দবাহে কোবাইছে। উফ, ৰৈ যা সময়। সন্ধ্যাই তাইৰ ওঁঠত অনুভৱ কৰিছে এটা উমাল পৰশ। অনুৰণৰ নিপোটল ওঁঠে সাৱটিছে সন্ধ্যাৰ ওঁঠ দুটিক। উশাহ ৰৈ গৈছে সন্ধ্যাৰ। দুটি ওঁঠৰ মিলনত সজল চকুৰে বৈ আহিছে অশ্ৰু। কাষৰ পবিতৰাৰ পৰা ভাহি আহিছে জুবিনৰ গীতৰ কলি,

"ওঁঠে ওঁঠে দিলা কিনো মনৰে ঠিকনা

চকুতে চকু থৈ বোৱালা কামনা

এতিয়া হিয়া মোৰ বৰষে তোমালে..."

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 124

পৰশ ; এটা পৰশেও কেতিয়াবা কঁপাব পাৰেনে বুকু, গলাব পাৰে নে যন্ত্ৰণাৰ পাহাৰ, বুজাব পাৰে নে হেজাৰ জটিল সাঁথৰ, দেখুওৱাব পাৰে নে কলিজাৰ কেঁচা মৰম। কিমান খিনি ভাল পালে প্ৰিয়জনৰ পৰশে অশ্ৰু নিগৰাব পাৰে, বুকুত কিমান মৰম থাকিলে নিবিড় সময়ত কামনাৰ সলনি আৱেগ উথলিব পাৰে সেয়া যেন সন্ধ্যাই আজি বুজিছে। হয়তো অনুৰণেও। কিমান সময়ৰ বাবে নো অনুৰণৰ ওঁঠে সাৱটি লৈছিল তাইৰ ওঁঠক! নাজানে তাই। হয়তো সময়ৰ হিচাপ কৰিব পৰাকৈ তেনেই সূক্ষ্ম। কিন্তু সেই পৰশ যে ৰৈ যাব চিৰকাল, আমৃত্যু পৰ্যন্ত। সেই পৰশ ভালপোৱাৰ, সেই পৰশ মৰমৰ, অপেক্ষাৰ আৰু প্ৰত্যাশাৰ। অনুৰণৰ ওঁঠযোৰ তাইৰ পৰা আঁতৰি যোৱাৰ পাছতে সন্ধ্যা সোমাই পৰিছিল অনুৰণৰ বুকুৰ মাজত। দুহাত মেলি আঁকোৱালি লৈছে তাইক অনুৰণে। যেন যুগ যুগান্তৰৰ বাবে সন্ধ্যাই জিৰণি ল'ব অনুৰণৰ বহল বুকুত। অনুৰণৰ বুকুৰ স্পন্দন কাণত বাজিছে সন্ধ্যাৰ। আৰু অনুৰণ! সমস্ত পৃথিৱীৰ অনুভূতি

যেন আজি তাৰ বাহুৰ মাজত। আকাশৰ সমস্ত জোনাক যেন আজি তাৰ বুকুৰ উমত। সময়ৰো যেন সৌন্দৰ্য থাকে আজি অনুভৱ কৰিছে সন্ধ্যাই। প্ৰেম যে এনেকুৱাই, বুকুৰ পৰা বুকুলৈ মৰম কঢ়িয়াই।

এসময়ত মুকলি কৰি দিলে সি সন্ধ্যাক। সন্ধ্যাও ওলাই আহিল অনুৰণৰ বুকুৰ পৰা। অবিন্যস্ত চুলিখিনি কাণৰ কাষলৈ ঠেলি স্বাভাৱিক হ'বলৈ চেষ্টা কৰিলে তাই। কিন্তু ওঁঠৰ কোণত অজানিতে ওলমি ৰৈছে মৰমলগা হাঁহিৰ টুকুৰা এটা। এনেতে অনুৰণে ক'লে,

"যাওঁ ব'লা। ইহঁত ৰৈ থাকিব।"

"উম, ব'লা।"

যাবলৈ লৈছিল সিহঁত। অহাৰ সময়ত অভিমন্যুয়ে চিঞৰি কৈছিল সিহঁত Essentialতে থাকিব হেনো। সেইবাবে সেইফালেৰেই খোজ ল'লে সিহঁতে। গোটেই বাটটোত এবাৰো অনুৰণৰ মুখলৈ চোৱা নাই সন্ধ্যাই। সিও পৰা নাই তাইলৈ চাব। একো নোকোৱাকৈও যেন সিহঁতে কৰি গৈছে ভালপোৱাৰ হাজাৰ বাৰ্তালাপ।

Kaushik

"তোমাৰ প্ৰেম কলেজত

অ' জান ঐ পঢ়িবলৈ দিবা নে

অ' জান ঐ পঢ়িবলৈ দিবা নে

অ' জান ঐ লগাবলৈ দিবা নে নাম"

অভিমন্যুয়ে ধৰি দিয়া বিহুৰ যোজনাটোৰ পিছৰ কণ জুৰিয়ে গালে,

"খবৰত শুনিছোঁ

অ' জান ঐ তোমাৰনো প্ৰেম কলেজত

অ' জান ঐ লগাইছে ঐ বহুতেই নাম"

লগে লগে এজাউৰি হাত চাপৰি, আকাশ কঁপাই তোলা কিৰিলি আৰু এজাক চঞ্চল হাঁহিয়ে কঁপাই তুলিছে Essentialৰ চৌপাশ। অলপ আগত অনুৰণ আৰু সন্ধ্যাক পঠিয়াই সিহঁত গোটেইজাকে আহি Essentialতে বহি আড্ডা মাৰিছেহি। সন্ধিয়াৰ Essentialৰ নিচাই

বেলেগ। যিয়ে ইয়াত বহি আড্ডা মাৰিছে সি হে বুজি পায়। জুৰিহঁতেই কত দিনৰ যে মূৰত আজি গোটেই কেইটা একেলগে বহিছে। পাঁচ বছৰৰ আগতে এই Essential ৰ মজিয়াতে আৰম্ভ হৈছিল সিহঁতৰ চিনাকি। তাৰ পাছত কত যে কাহিনী বাগৰিল। আৰু আজি এই শেষৰ সময়ত পুনৰ ইয়াত থুপ খাইছে সিহঁত। এতিয়া মনত কোনো মলিনতা নাই কাৰোৰে, নাই কাৰো বুকুত দুখৰ বোজা। সকলোৰে মন আজি পলাশৰ দৰেই ৰঙা। কথাৰ মাজে মাজে অভিমন্যুয়ে দিল্লীৰ গল্প কৈ গৈ আছে,

"এবাৰ এজনী ছোৱালীয়ে বুইছ্ মোক প্ৰপোজ মাৰিছিলেই নহয়।"

লগে লগে আৰিফে সোধে,

"তাৰ পাছত?"

"তাৰ পাছত আৰু কি, মইও বুজাই দিলোঁ যে মই সাংসাৰিক মানুহ।"

লগে লগেই জুৰিয়ে টপৰাই ক'লে,

"ঔ আই, তইয়ে এনেকৈ কৈছ নে?"

"অঁ, কিয়? মই এনেকৈ ক'ব নোৱাৰোঁ নেকি?"

"পাৰ, কিন্তু কৃষ্ণৰ পৰা শিৱলৈ সলনি কেতিয়া হ'লি সেইটোহে নুবুজিলোঁ।"

সীমাৰ কথাত অভিমন্যুয়ে হুঁমুনিয়াহ এটা কাঢ়ি ক'লে,

"আই অ', লগত যেতিয়া কালী গোঁসানী থাকিব, নিজে নিজে শিৱ হ'বলৈ বাধ্য।"

লগে লগেই আকৌ হাঁহিৰ জোৱাৰ। এনেতে পিছফালৰ পৰা এটা চিনাকি মাত,

"কি হ'ল? কোন কালী গোঁসানী?"

চবেই ঘূৰি চাই দেখে বিশেষ ভংগীমাত ৰৈ আছে পখী। প্ৰিয়াই চিঞৰি উঠে,

"আৰে পখী দেখোন, কেতিয়া পালাহি?"

পখীয়ে অভিমন্যুৰ ওচৰ চাপে,

"কি হ'ল? কোৱা কোন কালী গোঁসানী?"

অভিমন্যুয়ে খেঁৰো গেঁৰো মাতেৰে কয়,

Kaushik

"হেৰা মানুহজনী, কিয়নো খং কৰিছা হয় নে? ধেমালিহে কৰিছোঁ নিজৰ বুলি।"

তাৰ কথাৰ ভাঁজত পথীয়েও হাঁহি পেলালে। অভিমন্যুয়ে আনি দিয়া চকী এখনত পথী বহিল,

"মই দুপৰীয়াই পালোঁহি। অলপ কামত টাউনলৈ গৈছিলোঁ। এইমাত্ৰ বাহুত আহিলোঁ।"

"কিন্তু সন্ধ্যাইতো কোৱা নাই তুমি অহা বুলি।" অভিমন্যুয়ে সুধিলে। পথীয়ে তাৰ বাহুত ভেঁজা দি ক'লে,

"তাইক মইয়ে মানা কৰি থৈছিলোঁ। চাওঁ চোন, মই নথকাত কাৰ কাৰ লগত চেনি খোৱা তুমি?"

"ধেৎ, তোমাৰ বাহিৰে আৰু মই---"

"হ'ব তেল মাৰিব নালাগে যাহ।"

পথী আৰু অভিমন্যুৰ মৰমৰ কাজিয়াত হাঁহি উঠে চবৰে। কথাৰ মাজতে সীমাই সন্ধ্যাৰ কথা উলিয়ালে,

"সন্ধ্যা ছোৱালীজনী সঁচাই আচৰিত ন? তাইৰ নিচিনা বন্ধু পাবলৈও ভাগ্য লাগিব। আৰু আমি অতদিনে তাইকেই দুখ দিলোঁ।"

অভিমন্যুয়ে ক'লে,

"অকল সন্ধ্যাক নহয়, গম নোপোৱাকৈ তহঁতে আৰু কাৰোবাক দুখ দি আছ।"

"কাক?"

সীমাৰ প্ৰশ্নটোৰ উত্তৰ অনুৰাধাই দিলে,

"মই বুজিছোঁ। অভিমন্যুয়ে ময়ূঁৰৰ কথা কৈছা ন?"

অভিমন্যুয়ে মূৰ দুপিয়ালে। জুৰি লগে লগে থিয় হ'ল,

"ময়ূঁৰক ফোন এটা লগা চোন। সঁচাকৈ কথাটো ভবাই নাছিলোঁ। ইমান শান্ত ল'ৰাটোকো যে আমি--"

"ফোন লগাব নালাগে, মই জানো সি ক'ত থাকিব। ব'ল, যাওঁ।"

অভিমন্যুৰ কথাত গোটেই কেইটা Essentialৰ পৰা ওলাই আহে।

Kaushik

কাঞ্চনজংঘাৰ পুল ; তেজপুৰ ইউনিভাৰ্চিটীৰ কিমানৰ যে বুকুৰ গোপন কাহিনীৰ সাক্ষী এই ঠাইটুকুৰ। নাহৰ জোপাৰ ছাঁয়ে আগুৰি থকা এন্ধাৰ ঠাইখিনিত বহিয়েই কতই যে নিজৰ পোহৰৰ মুখাখন খুলি লয়। কৈ যায়, অগণন নোকোৱা কবিতা। এই ঠাই টুকুৰ ময়ূঁৰৰ আটাইতকৈ প্ৰিয়। আজিও তাতেই বহি ফিল্ডৰ ফালে মুখ কৰি চাই ৰৈছে সি উকা ফিল্ড খনলৈ। নহ'লে নাহৰজোপাৰ গছৰ ফাকেৰে আকাশৰ তৰাবোৰলৈ। কাণত তাৰ চিৰসংগী হেডফোন ডাল। আঁতৰৰ পৰা অনৰ্গল চিঞৰি থাকোঁতেও নুশুনাত অভিমন্যুয়ে জুৰিহঁতক অলপ আঁতৰতে এৰি দৌৰি আহি ময়ূঁৰৰ কাষত বহিলহি। হেডফোন ডাল আজুৰি আঁতৰাই দিলে সি,

"বাপ ৰে, ইমান মাতোঁতেও শুনা নাই। কোনোবা দিনা মৰিবি সঁচাকৈ তই। পেপাৰত মইয়ে লিখিম হেডফোনত গান শুনি মৃত্যুৰ মুখত পৰিল তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ।"

লগে লগে জোৰকৈ হাঁহি উঠিল সি। ময়ূঁৰেও সামান্য হাঁহিৰে ক'লে,

"মৃত্যু খুব সহজ বুইছ অভি। আৰু সহজ কাম মোৰ ভাল নালাগে। সেয়ে জীৱনৰ সৈতে হেতালি খেলিছোঁ আৰু খেলি যাম।"

"ভুল হৈ গ'ল। এই দাসক ক্ষমা কৰক।" অভিমন্যুয়ে তাৰ সমুখত আঁঠু কাঢ়ি হাত যোৰ কৰি ক'লে। হাঁহি উঠিছিল ময়ূঁৰে। এনেতে জুৰিহঁতো সেইখিনি পালেহি। জুৰিয়ে ময়ূঁৰৰ কাষত বহি লৈ ক'লে,

"ময়ূঁৰ, পৃথিৱী খনত আমাৰ নিচিনা লেতেৰা মনৰ মানুহেই সৰহ অ'। তোৰ আৰু সন্ধ্যাৰ নিচিনা নিকা মানুহবোৰে সদায় কষ্ট পাব লগা হয় আমাৰ বাবে।"

প্ৰিয়াইও ক'লে,

"ময়ূঁৰ, তুমি আৰু সন্ধ্যাই মোৰ বাবে যিখিনি কৰিলা সেই ধাৰ মই শুজিব নোৱাৰিম কেতিয়াও।"

ময়ূঁৰে শান্ত মাতেৰে ক'লে,

"বন্ধুত্বত ধাৰ নাথাকে নহয় প্ৰিয়া, অকল মৰম থাকে।"

Kaushik

চকুযোৰ ভৰি আহিছিল জুৰিহঁতৰ। ইমান সৰল মনৰ এই ল'ৰাটোক সিহঁতে কিদৰে যে কষ্ট দিব পাৰিছিল। ৰাজদ্বীপে ময়ূঁৰৰ বাহুত হাত থৈ ক'লে,

"তোমাৰ পৰা বহুত কথা শিকিলোঁ ময়ূঁৰ। গোটেই পাটকাইৰ ল'ৰাই ঠাট্টা কৰিলে, জোকালে তথাপি টু শব্দ এটা নক'লা।"

অভিমন্যুয়ে আঁতৰৰ পৰা চাই ৰৈছে সকলোকে। ময়ূঁৰৰ মুখত জিলিকি উঠিছে হাঁহিৰ আভা। সেই আভায়ে যেন পানী হৈ সৰিছে অভিমন্যুৰ চকুৰে। জীৱনত সকলো শেষ হৈ গ'লেও সি একমাত্ৰ এই ময়ূঁৰৰ মুখলৈ চাই হাঁহি হাঁহি জীয়াই থাকিব পাৰিব। কথাৰ মাজতে আৰিফে ক'লে,

"আমাৰ লাভ বাৰ্ডছ দুটা নহা হ'ল গৈ যে? ফোন এটা মাৰ কোনোবাই।"

"ধেৎ, অলপ সময় থাকক দে অ' একেলগে।" জুৰিয়ে কথাটো কোৱাৰ লগে লগে তাইৰ ফোনটো বাজিল। Essentialত সিহঁতক নেদেখি সন্ধ্যাই কৰিছে। জুৰিয়ে সিহঁতকো পুলটোৰ ওচৰলৈকে মাতিলে। সন্ধ্যাহঁত আহি পালেহি। আকৌ আড্ডা চলিল। তাৰ মাজতে এবাৰ ময়ূঁৰে প্ৰস্তাৱটো দিলে,

"আমি এটা পিকনিক গ'লে কেনে হয়?"

"কি?" গোটেই কেইটাই একেলগে চিঞৰি উঠিছিল। চিঞৰিব লগা কথাই। পিকনিকৰ কথা শুনি চিঞৰা নাই, চিঞৰিছে ময়ূঁৰে কোৱাতহে। অতদিনে টাউনলৈ যোৱাতো বাদেই কাৰোবাৰ বাৰ্থদে পাৰ্টি এটা খাবলৈও কুটুৰি কুটুৰি নিব লাগে ময়ূঁৰক। আগতে অভিমন্যুয়ে জোৰ কৰি লৈ গৈছিল বাৰু, সি যোৱাৰ পাছততো আৰু নোলোৱা হ'ল ময়ূঁৰ। এতিয়া সি নিজে উপযাচি পিকনিকৰ কথা কোৱাত আচৰিত নহৈ পাৰে নে? অভিমন্যুয়ে ময়ূঁৰৰ ওচৰ চাপি ক'লে,

"তোৰ গা চা ভালে আছে নে? কিবা মদ ভাং খালি নি বাৰু?"

"মাৰ লাগে? মই সঁচাকৈ কৈছিলোঁ।"

ময়ূঁৰে মুখ ফুলাই কোৱা ভাঁজটোত হাঁহি উঠিল চবৰে। পিকনিকৰ কথা আৰু কোনে আপত্তি কৰিব? তথাপি এবাৰ বিশ্বজিতে কৈছিল,

"মিড টাৰ্মটো গৈ লওঁক নেকি?"

লগে লগে চবেই চিঞৰি উঠিল,

Kaushik

"বহুত দিন আছে মিড টাৰ্মলে।"

আলোচনা চলিলেই লগে লগে। আজি বৃহস্পতি বাৰ। অহা দেওবাৰেই যোৱা হওঁক। বহুত তৰ্ক বিতৰ্কৰ অন্তত ঠাইখন ঠিক হ'লগৈ। কাৰ্বি আংলঙৰ "পানীমূৰ"। সকলোৰে মনঃপুতও হ'ল। কোনে কিমানকৈ পইছা তুলিব সেইবোৰো ঠিক কৰিলে। অভিমন্যুয়ে লিষ্ট বনাই সাজু কৰিয়ে দিলে। কথা পাতি পাতিয়ে ন বাজি গ'ল। ইন টাইমৰ সময় হোৱাত ছোৱালী কেইজনী যাবলৈ ওলাল। এনেতে অভিমন্যুয়ে অনুৰণক চবেই শুনাকৈ ক'লে,

"বাই দা ৱে অনুৰণ, মোৰ ৰুমতে বটল এটা আছে। ব'লা তোমাক আজি দৰকাৰ হ'ব।"

"কিয় বা?" পখীয়ে সুধিলে। অভিমন্যুয়ে চকু টিপ মাৰি ক'লে,

"বেচেৰা আজি জালত ফচিছে যে। সুখৰ দিনৰ অন্ত পৰিল তাৰ। সন্ধ্যা চিকাৰীৰ হাতৰ পৰা কোনে বচাব অনুৰণ হাজৰিকাক?"

লগে লগে সন্ধ্যাই চোঁ চোঁৱাই খেদি আহিল তাক,

"তোক আজি মই"

অভিমন্যু লগে লগে ফিল্ডলৈ নামি দৌৰ দিলে। পিছে পিছে সন্ধ্যাও। একেলগে হাঁহি উঠিছিল বাকী কেইটাই।

ময়ূঁৰৰ কাষ চাপি এবাৰত অনুৰণে কৈছিল,

"ময়ূঁৰ, বেয়া পাই আছা ন মোক?"

হাঁহি মাৰি ক'লে সি,

"ধেৎ, কিয় বেয়া পাম?"

"ছৰী, মইও তোমাক টানকৈ কৈছিলোঁ।"

"নিজৰ বুলি ভবা কাৰণেহে কৈছা। মোক লৈ চিন্তা কৰা কাৰণে হে কৈছা। বুজি পাওঁ মই।"

Kaushik

ময়ূঁৰৰ কথাত তাক সাৱটি লৈছিল অনুৰণে। তাৰ খং উঠিছিল নিজলৈ শিশুৰ দৰে নিষ্পাপ মনৰ ল'ৰাটোক কিদৰে যে তেনে ব্যৱহাৰ কৰিছিল সি। বাৰু যা হওঁক, এতিয়া আঁতৰিল ডাঁৱৰবোৰ। ফেঁকুৰি থকা সময় বোৰে হাঁহি উঠিছে আকৌ।

ফিল্ডত সন্ধ্যাক কঁকালত ধৰি দাঙি এক পাক ঘূৰাই দিলে অভিমন্যুয়ে। সন্ধ্যাই মুখখন ফুলাই ক'লে,

"অথনি ইমান বেয়াকৈ কৈছিলি মোক তই। বেয়া পাইছোঁ যা।"

"ধেৎ পাগলী, তোক জানো মই বেয়াকৈ ক'ব পাৰোঁ? প্ৰিয়াই যাতে কথাবোৰ কৈ দিয়ে সেইবাবে কৈছিলোঁ।"

বুজে, সন্ধ্যাইও বুজে তাৰ কথাবোৰ। আজি অভিমন্যুৰ বাবেই যে সকলো ঠিক হৈ পৰিছে তাইৰ। বন্ধুত্বৰ যেন আন এক নাম হৈ পৰিছে অভিমন্যু।

"পিছে অনুৰণলৈ সঁচাই বেয়া লাগিছে অ'।"

"কিয়?"

"ইমান বগা চিগা হেণ্ডচাম হৈ ক'ৰ যখিনী এজনী পালেগৈ বাৰু?"

"তোক যে সঁচাকৈ দিম আজি মই।"

আকৌ দৌৰে অভিমন্যু। পিছে পিছে তাৰ সন্ধ্যা। পুলটোৰ পৰা সিহঁতৰ নিষ্কলুষ ধেমালি হাঁহিমুখেৰে চাই ৰয় বাকীবোৰে। অতদিনৰ মূৰত যেন আজি পুনৰ ঘূৰি আহিছে সিহঁতৰ হেৰোৱা শৈশৱ। চৌহদটোত তেতিয়া বৰষুণৰ পাছৰ শান্ত বতাহ।

"আপুনি এইদৰে হঠাৎ?"

সন্ধ্যাহঁতৰ ড্ৰয়িং ৰুমটোত জুপিতৰা মেম বহোঁতেই ভিতৰৰ পৰা সন্ধ্যাৰ মাক ওলাই আহি ক'লেহি।

আজি জুপিতৰা মেমে প্ৰিয়াক লৈ সন্ধ্যাহঁতৰ ঘৰলৈ আহিছে। মেম মানুহ গৰাকী কঁপি গৈছিল যেতিয়া তেওঁ প্ৰিয়াৰ মুখেৰে প্ৰথম কথাখিনি শুনিছিল। শ্ৰদ্ধা ওপজিছিল সন্ধ্যালৈ। কিমান ধৈৰ্য থাকিব পাৰে এই ছোৱালীজনীৰ, কিমান ভাল পাব পাৰে তাই মানুহক। নিজৰ ওপৰতে খং উঠিছিল তেওঁৰ সন্ধ্যাক সন্দেহ কৰাৰ বাবে। তেতিয়াই

Kaushik

তেওঁ প্ৰিয়াক প্ৰস্তাৱ দিছিল সন্ধ্যাহঁতৰ ঘৰলৈ যোৱাৰ সন্ধ্যাই গম নোপোৱাকৈয়ে। মাক দেউতাকহঁতৰ প্ৰশ্নবোধক মুখবোৰৰ সমুখত জুপিতৰা মেমে দাঙি ধৰিছে প্ৰকৃত সত্য,

"ভুল হৈ গ'ল। মোৰ, আপোনালোকৰ, আমাৰ সকলোৰে ভুল হৈ গ'ল। সন্ধ্যাৰ দৰে এজনী ছোৱালী আপোনালোকে সাধি সাধি পাইছে।"

তাৰ পাছতে প্ৰিয়াই কৈ গৈছিল কথাবোৰ। মাক বহি পৰিছিল চোফাখনত। দেউতাকৰ চকু চলচলীয়া হৈ গৈছিল। শেষত হুকহুকাই কান্দিছিল মাকে,

"মই মাকজনী হৈও তাইক বুজি নাপালোঁ। অকলে অকলে কিমান ভুগিলে মোৰ ছোৱালীজনীয়ে।"

দেউতাকেও ফেঁকুৰিছিল,

"একো নোসোধাকৈয়ে তাইৰ গাত হাত তুলিলোঁ মই।"

কান্দি থকা মাকৰ কাষলৈ উঠি আহিছিল জুপিতৰা মেম। তেওঁৰ বাহুত হাত থৈ বুজাইছিল,

"ব'লক সন্ধ্যাৰ ওচৰলৈ। বহুত কষ্ট দিলোঁ আমি ছোৱালীজনীক।"

মেমহঁতৰ লগতে মাক দেউতাক আহি হোষ্টেল পাইছিলহি। ভিজিতৰ ৰুমত সন্ধ্যাক দেউতাকে আঁকোৱালি ধৰি কান্দি কান্দি কৈছিল,

"পাৰিলে ক্ষমা কৰি দে অ' ৰুণ। আমি তোৰ যোগ্যই নহ'লো।"

"ইমান ডাঙৰ কেতিয়া হ'লি তই ৰুণ?" মাকেও উচুপিছিল।

সন্ধ্যাই ক'ব পৰা নাছিল একো। বহুদিনৰ মূৰত আকাশখন মুকলি তাইৰ। আজি যেন পূৰ্ণ তাই। নালাগে আৰু একো। মাক দেউতাকে বুজি পাইছে তাইক। বাকী গোটেই পৃথিৱীয়ে বেয়া বুলি ক'লেও তাইৰ একো নহয়। তাই হাঁহি মুখে থিয় দিব। মাক দেউতাক তাইৰ লগত আছে যেতিয়া এতিয়া কওঁক, যি কয় কৈ যাওঁক চবেই। কিন্তু তেনেকুৱা নহ'ল। সন্ধ্যাই নভবাকৈয়ে সলনি হৈছিল সকলোৰে ব্যৱহাৰ। কথাবোৰ লাহে লাহে ওলাইছিল ইউনিভাৰ্চিটীত। সকলো আচৰিত হৈছিল সন্ধ্যাৰ ত্যাগ দেখি। ইমান থিনিলৈকে নিজক শেষ কৰিব পাৰে নে বন্ধুৰ নামত! আগতে ইতিকিং কৰা বহুতেই সন্ধ্যাক দেখিলে এতিয়া শ্ৰদ্ধাৰে কথা পাতিছিল। সন্ধ্যাৰ ব্যক্তিত্বত মুগ্ধ হৈছিল সকলো। তাৰ মাজতে অৱশ্যে দুই একে উপলুঙাও নকৰা নহয়,

Kaushik

"হ'ল বুলি লগৰ এজনীৰ কাৰণে ইমানখিনি কৰিব নোৱাৰি আৰু দেই। ইমান মূৰ্খ নে!"

কিন্তু সকলোৱে একমুখে সন্ধ্যাৰ মহানতাক স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। সন্ধ্যাৰ অনুৰোধত জুপিতৰা মেমে কথাটো ওপৰ মহলাত চম্ভালি লোৱাৰ বাবে প্ৰিয়াৰ ঘৰলৈকে কথাবোৰ নগ'ল। সকলো ঠিক হোৱাৰ পাছত প্ৰিয়াই এদিন সন্ধ্যাৰ ভৰি চুই কান্দিছিল,

"তই মোৰ বাবে ভগৱান সন্ধ্যা।"

সন্ধ্যাই সাৱটি ধৰিছিল তাইক। লাহে লাহে যেন সকলো ঠিক হ'বলৈ লৈছিল। কিন্তু কোনেও সপোনতো ভবা নাছিল, সিহঁতৰ সেউজীয়া হাঁহিবোৰত গ্ৰহণ লগাবলৈ আহি আছিল আন এক ভয়ংকৰ অধ্যায়।

Kaushik

কাইলৈ পিকনিক। মূৰ দাঙিব নোৱাৰা ব্যস্ততা অভিমন্যুৰ। গাড়ীৰ পৰা ৰান্ধনীলৈকে চব ঠিক কৰিছে সি। লগে লগে অনুৰণ আৰু ৰাজদ্বীপ আছে বাৰু। কিন্তু সিহঁতৰ ক্লাছ হৈ থকাৰ বাবে মেনেজ সি হে দিব লগা হৈছে চবতে। চাউণ্ড বক্সৰ দায়িত্ব দিছিল বিশ্বজিতক। কিন্তু সি ঠিক কৰাটোৰ হেনো কিবা সমস্যা ওলাল। সেইফালেও মাথা মাৰি আছে। ইফালে সীমাই কালি কৈছেই,

"DSLR এটা নিনিলে কিন্তু মই নাযাঁৱেই।"

"হেৰৌ চবৰে কেমেৰা আছেই দেখোন মোবাইলত।" আৰিফে ধমকি মাৰি আহিছে। কিন্তু সীমা নাচোৰবান্দা, তাই DSLR হ'লেহে যাব। শেষত যেনিবা অভিমন্যুয়ে হোষ্টেলৰে পুৰণা চিনাকি দ্বীপৰ কেমেৰাটোকে নিবলৈ ঠিক কৰিলে। এই কেইদিন ময়ূঁৰৰ ৰুমটো অফিচ ৰুমৰ দৰে হৈছে। দিনটো অ'ত ত'ত কামবোৰ কৰি ৰাতি তাৰ ৰুমত হিচাপ হয়, পইচা ক'ত ক'ত গৈছে, আৰু কিমানে দিবলৈ বাকী আছে ইত্যাদি ইত্যাদি।

কাইলৈ ৰাতিপুৱা ছটা বজাতে ওলাব সিহঁত। ময়ূঁৰৰ ৰুমত গোটেই ল'ৰা কেইটাক সাৱধান বাণী শুনাই দিছে অভিমন্যুয়ে,

"একদম ছটা মানে ছটা কিন্তু, কোনেও যাতে দেৰি নকৰ।"

বিশ্বজিতে হাঁহি মাৰি ক'লে,

"আমাৰ হৈ যাব, কিন্তু তোমাৰ ভায়েৰা সাৰ পাব জানো?"

লগে লগে ময়ূঁৰক বাদ দি হাঁহি উঠিল গোটেই কেইটাই। ময়ূঁৰক চবেই অভিমন্যুৰ ভায়েক বুলিয়ে মতা হৈছে। অভিমন্যুয়ে তাৰ ওচৰতে বহি ক'লে,

"মই জগামতো। আজি ৰাতি একদম সোনকালে কিন্তু। ফুৰিবলৈ যোৱাৰ চিষ্টেম নাই। ৰাতিপুৱা নুঠিলে পানী ঢালি দিম গাত।"

"ঢালিবি চোন বাৰু। নাযামেই মই।"

ময়ূঁৰে মুখখন অলপ ফুলাই কয়। অভিমন্যুয়েও জোকাই,

"তই নগ'লে কেনেকৈ হ'ব? বাচনবোৰ কোনে ধুব?"

"নাথাকোঁৱেই যা মই ইয়াত।" বুলি উঠি যাবলৈ ধৰা ময়ূঁৰক অনুৰণে ৰখাই লৈ তাৰ লগতে বহোৱাই অভিমন্যুক কৃত্ৰিম ধমকি মাৰে,

"কিয় জোকাই থাকা ল'ৰাটোক বাৰু?"

"কথাই ক'ব নোৱাৰি ৰাজকোঁৱৰক। চবেই মৰম কৰি কৰি মূৰত উঠাই লৈছা তোমালোকে।"

অভিমন্যুৰ কথাত আকৌ হাঁহিৰ জোৱাৰ উঠে। এবাৰ সন্ধ্যালৈ ফোন লগালে অভিমন্যুয়ে,

"ৰ এইক কামোৰ দিওঁ অলপ।" বুলি ফোনটো লাউডত দিয়ে সি। বাকী কেইটাই কাণ উনাই শুনে। অভি সন্ধ্যাৰ চুপতিবোৰ সিহঁতৰ ফাৰ্ষ্ট ছেমৰ পৰাই প্ৰিয়। সন্ধ্যাই ফোন উঠালে,

"ক অভি"

"হেৰি নহয়, তই মোক আৰু এশ এটা দিবলৈ আছে ন?"

লগে লগে সিফালে চিঞৰি উঠিল সন্ধ্যাই,

"তোক যে চৰত গাল ফালিম মই অভি। এশ এশ কৈ কিমান নিলি হা মোৰ পৰা তই?"

Kaushik

লগে লগে ৰুমটো কঁপাই হাঁহি উঠে গোটেই বোৰে। কথাটো নোহোৱাও নহয়। অভিমন্যুয়ে ইটো সিটো মিলাবলৈ সন্ধ্যাৰ পৰা "তোৰ এশ এটা বাকী আছে" বুলি চাৰি বাৰ মান আনিলে। তাইও গালি পাৰে যদিও দি দিয়ে, কাৰণ জানে যে সি পিছত উভতাই দিব। কিন্তু কাইলৈ পিকনিক, এতিয়াও একেটা কথাই কোৱাত খং উঠি আহিল তাইৰ। লগে লগে ফোনটো প্ৰিয়াই ল'লে,

"ঐ, তই ৰাতিখন কামোৰ দিবলৈ মানুহ পোৱা নাই আৰু?"

"কামোৰ দিবলৈ নহয়, কথা এটাহে ক'ব আছিল। তহঁত ছোৱালী কেইজনীয়ে এতিয়াৰ পৰাই মুখত মেক আপ ল'বলৈ আৰম্ভ কৰি দে বুইছ, তেতিয়াহে যদি ৰাতিপুৱালৈ হয় গে।"

বিশ্বজিতে পানী খাই আছিল। অভিমন্যুৰ কথাত "ফুঃ" কৈ ওলাই আহিল গোটেই সোপা। বাকী কেইটাৰো হাঁহি। সিফালে ফোনটো পখীয়ে ল'লে,

"অলপ বেছি হৈছে নেকি? খং উঠিব লাগে পাটকাইৰ পৰা উলিয়াই আনিম কিন্তু।"

লগে লগে অভিমন্যুৰ বিয়া নামৰ সুৰ,

"আমদালি কাটিছোঁ দুৱাৰ মুখত আঁৰিছো

বেয়া নাপাবা দেই ধেমালিহে কৰিছোঁ"

সেইটো সুৰত বাগৰি বাগৰি হাঁহিছে অনুৰণহঁতে। সিফালে সন্ধ্যাহঁতৰো অৱস্থা নাই হাঁহিত। খঙত ফোনতে পখীয়ে ভোৰভোৰাইছে,

"কি যে ফটুৱা এটাক ভাল পালোঁ নহয়।"

অলপ সময় কথা পাতি ফোন থ'লে। কথা বতৰা পাতি চব ঠিক কৰি মেলি ল'ৰা কেইটাও নিজৰ নিজৰ ৰুমলৈ গ'ল।

ৰাতি বিচনাত শুবলৈ লওঁতেই হঠাৎ ময়ূঁৰে ক'লে,

"অভি"

"ক, ওলাই যাব নোৱাৰ কিন্তু এতিয়া"

"নাযাওঁ, তই মোৰ বিচনাতে শোঁ হি না।"

Kaushik

ময়ূঁৰৰ ৰুমমেট নাছিল। কিবা কাৰণত ঘৰলৈ গ'ল। সেইবাবে অভিমন্যু তাৰ বিচনাখনতে শুই আছে এই কেইদিন। কিন্তু আজি হঠাৎ ময়ূঁৰে তাক নিজৰ বিচনালৈ মতাত সিও আচৰিত হ'ল,

"কি হ'ল? গা বেয়া লাগিছে নি তোৰ?"

"নাই লাগা। এনেই, আহ না ইয়ালেকে।"

অভিমন্যু উঠি গ'ল ময়ূঁৰৰ কাষলৈ। তাৰ মূৰত হাত ফুৰাই দিলে সি,

"ভয় লাগিছে?"

উত্তৰটো নিদি ময়ূঁৰে সুধিলে,

"তই সদায় থাকিবি হা মোৰ লগত।"

"কিনো কথা কৈ আছ? মই নো ক'ত যাম? তোৰ লগত সদায় থাকিম ভাই।"

চকু মুদিছিল ময়ূঁৰে। তাৰ মূৰটোত লাহে লাহে হাত ফুৰাই দি আছিল অভিমন্যুয়ে। বাহিৰৰ পৰা ভাহি আহিছিল মাজনিশাৰ ফেঁচাৰ কুৰুলি। লাহে লাহে টোপনি গৈছিল সিহঁত।

Kaushik

"এটা সঁচা কথা কচোন"

প্ৰিয়া ৰুমটোৰ পৰা ওলাই যোৱাৰ পাছতে বিচনাত পৰিল সন্ধ্যা আৰু পখী। তেতিয়াই পখীয়ে সুধিলে সন্ধ্যাক। উত্তৰত সন্ধ্যাই তাইৰ ফালে চালে। পখীয়ে আকৌ ক'লে,

"তই অনুৰণক ভাল পাঁৱ ন?"

মিচিকিয়া হাঁহিৰ বতাহ এজাকে কোবাই গৈছিল সন্ধ্যাৰ মুখত। একো নকৈ মনে মনে ৰৈছিল তাই। পখীয়ে ক'লে,

"কৈ নিদিয় কিয় তাক?"

"সি নো কিয় নকয়?"

"কিছুমান কথা মুখ ফুটাই ক'ব নালাগে সন্ধ্যা। বুজি পাব লাগে।"

পাই, সন্ধ্যাইও বুজি পায়। সিদিনাৰ ঘটনাটোৰ পৰা আৰু বুজিবলৈ বাকী নাই। পৰিস্কাৰ সকলো। অনুৰণৰ ওঁঠৰ তপত পৰশ এতিয়াও সন্ধ্যাৰ ওঁঠত যেন লাগি আছে। সেই বিশেষ সন্ধিয়াটো কথা মনত পৰিলে আজিও কঁপি উঠে। গাটো কঁপাই যায় এক নামহীন শিহৰণে। কিন্তু এতিয়াও অনুৰণে মুখেৰে কোৱা নাই। ক'ব, সিও ক'ব। তাই জানে। সেইবাবেই সেই সময় লৈ ৰৈছে তাই।

"কি হ'ল, তই একো নক'লি যে? কাইলৈ পিকনিকতে তহঁতৰ হেষ্ট নেষ্ট এটা কৰিম ৰহ।"

হাঁহি উঠিছিল সন্ধ্যাই পখীৰ কথাত। পখীয়ে বুজনিৰ সুৰত ক'লে,

"ইঁহাৰ কথা নহয় সন্ধ্যা। তই জাননে, মই কিয় অভিমন্যুৰ প্ৰপোজেল এচেপ্ত কৰা নাছিলোঁ? কাৰণ ভাবিছিলোঁ মোৰ ৰুমমেটৰ এক্সৰ লগত ৰিলেশ্যনত আহিলে মানুহে কি ক'ব! আমি হে জানো তহঁতৰ বন্ধুত্ব। চবেইতো নুবুজে ন। কোনে জানে, কিজানি অনুৰণেও তেনেকৈয়ে ভাবি আছে।"

"বুজিছোঁ অ'। কিন্তু মই জানো, অনুৰণে নিজেই ক'ব। বিশ্বাস আছে, সি ক'বই।" কথাটো কৈ বাগৰ সলালে সন্ধ্যাই। পখীয়েও "বাৰু" বুলি চকু মুদিলে। সন্ধ্যাৰ মোবাইলৰ মেচেজ টনটো বাজি উঠিল। অনুৰণৰ মেচেজ,

"Kailoi beer nibo lagibo ni?"

হাঁহি উঠিল সন্ধ্যাৰ। সেই ভালুকপুঙৰ কথাটো মনত পৰিছিল। সঁচাই, সেই সোপা খাই কমখন পাগলামী কৰিছিল নে! পখীয়ে গম নোপোৱাকৈ মুখ টিপি হাঁহি হাঁহি মেচেজ লিখিলে তাই,

"Loi lua"

"Hoi ne, akou utpat diboloi sobore agot?"

"Eku nohoi, tumi thakiba tu"

"Moi polam"

আকৌ হাঁহি উঠিছিল সন্ধ্যাৰ। হাঁহিটো মুখত লৈয়ে লিখিলে তাই,

"Okol polai e fura tumi, kotha eta koboloi hole xahox nai"

"Kailoi sai thaka, sobore agot kom"

"Ki kua, mur tuponi e nahibo"

Kaushik

"Be ready for tomorrow Miss Baruah"

মেচেজটোত বুকুখন যেন ঢককৈ উঠিল সন্ধ্যাৰ। সঁচাই কৈছে নে অনুৰণে! কাইলৈ কি সঁচাই ক'ব নে তাইক? তাই কি উত্তৰ দিব বাৰু? অভিমন্যুয়ে কম জোকাব নে তাইক? অতদিনৰ পৰা অপেক্ষা কৰা হেঁপাহৰ দিনটো সঁচাই আহিবনে কাইলৈ! কথাবোৰ ভাবি ভাবিয়েই টোপনিত ঢলি পৰিল সন্ধ্যা। সকলোৰে অজ্ঞাতে নিয়তিয়ে এক কুটিল হাঁহি মাৰিছিল।

ট্ৰেভেলাৰখন গেটত ৰৈছেহি ইউনিভাৰ্চিটীৰ। লগে লগে হোষ্টেলবোৰত খৰখেদা। মুখ ধুবলৈ গৈ অভিমন্যুয়ে চিঞৰিছে,

"চালা ইহঁতৰ স্বভাৱ সলনি নহ'ল, কোনে ভাত পেলাঁৱ বে বেচিনত?"

এইটো যেন হোষ্টেলৰ নিয়মীয়া অশান্তিৰ অন্যতম। বকি বকি সি মুখ ধুই গাও ধুই আহিল। তেতিয়ালৈকে ময়ূঁৰ টোপনিতে। শেষত অভিমন্যুয়ে টানি আনিলে তাক। ব্ৰাছ ডাল আনি মুখত লগাই ঘঁহিও দিলে। টোপনিয়াই টোপনিয়াই ময়ূঁৰে ব্ৰাছ কৰি বাথৰুমত সোমাল। ওলাই মেলি আহোঁতেই এঘন্টা মানেই লাগিল সিহঁতৰ। ছটা গৈ চাৰে ছটাই বাজিল। অভিমন্যুয়ে ময়ূঁৰক উলিয়াই মেলি গৈ পাই মানে প্ৰায়বোৰ আহিলেই। প্ৰিয়াই কৈছেই,

"আমাক সোনকালে ওলাবলৈ কৈ নিজে দেৰি কৰিছ ন?"

"মোৰ হ'ল। আমাৰ ময়ূঁৰ মাইনাৰ হে টোপনি ভঙাই নাছিল। পিছে সন্ধ্যা ক'ত?"

"সন্ধ্যা আৰু পথী আহি পোৱা নাই। বাকী চব আহিল।" সীমাই ক'লে।

অলপ পাছতে সিহঁত দুজনীও পালেহি। গাড়ীত উঠোঁতেই নিমিষাই পথীক ক'লে,

"পথী, অভিমন্যুৰ কাষতে বহা। সন্ধ্যা এইফালে আহ।"

পথীয়ে হাঁহি মাৰি কৈছিল,

"নালাগে অভিমন্যুৰ লগত সন্ধ্যা বহিব।"

"ৱাহ পথী, মানিছোঁ দেই। খুব বিশ্বাস কৰা ন তাক।"

ৰাজদ্বীপৰ উত্তৰত পথীয়ে ক'লে,

Kaushik

"সেইটো ঠিক নহয়, কিন্তু সন্ধ্যাক বুজি পাওঁ।"

সঁচাই, সন্ধ্যা আৰু অভিৰ সম্পৰ্কটো পৃথীতকৈ ভালকৈ আৰু কোনে বুজিব! কথামতেই সন্ধ্যা অভিমন্যুৰ লগত বহিল। ইফালে ময়ূঁৰ আৰু অনুৰণ। গাড়ী আগবাঢ়িছিল কাৰ্বি আংলঙৰ বিখ্যাত পানীমূৰৰ দিশত।

প্ৰায় আঢ়ৈ ঘণ্টা মানৰ মূৰত পানীমূৰত উপস্থিত হ'লগৈ গাড়ী। ডিমা হাচাওৰ মূল ৰাস্তাৰ পৰা অলপ দূৰ সোমাই গৈয়ে পাই গৈ এই নৈসৰ্গিক দৃশ্যৰ জলপ্ৰপাত। তিনিটা ফালেৰে তললৈ বৈ আহিছে সুবিশাল জলধাৰা। তলত শিলত খেলি খেলি বৈ গৈছে পানীবোৰ। ফটফটীয়া পানীৰ জলপ্ৰপাতটোক চাৰিওফালৰ পৰা আবৰি আছে সেউজীয়াই। চাৰিওদিশে পাহাৰ আৰু বননিৰ মাজত এই নয়নাভিৰাম দৃশ্য। চালে চকু ৰোৱা পৰিৱেশ।

গাড়ীৰ পৰা নমাৰ লগে লগে ড্ৰাইভাৰজনে সাৱধান কৰি দিলে,

"সেই যে দেখি তিনিফালেৰে পানী পৰি আছে, সেইফালে নাযাব। আৰু গ'লেও সাৱধান কিন্তু। তাৰ পৰা পৰিলে নাবাচে কোনো।"

লাহে লাহে সন্ধ্যাহঁত আগবাঢ়ি গৈছিল ঠাইখিনিলৈ। এটুকুৰা চাফা ঠাই বিচাৰি লৈ টেণ্ট তৰিলে সিহঁতে। ৰান্ধনী জনে বনোৱাৰ ব্যৱস্থাটোও কৰিলে। মিউজিক চিষ্টেমত গান লগাইয়ে দিলে ৰাজদ্বীপে,

"পৰ্বতৰ ঢেঁক ঢেঁকীয়া লিহিৰীবতীয়া

বতাহত যেনেকৈ হালে..."

গান যিমানেই নোলাওঁক, এইটোত এপাক নাচিলেহে পিকনিকত অহা যেন লাগে।

সন্ধ্যাক টানি টানি অভিমন্যুয়ে নাচিলে,

"তোৰ দৰে নাচনী দেখি শ্ৰীকৃষ্ণই

বাঁহী বজাইছিলে চাগে মোৰ মইনা ঐ..."

জুৰিহঁতেও নাচিছে। লগতে অনুৰণেও।

লগতেই সেউজীয়াবোৰৰ মাজত হেঁপাহ পলুৱাই ফটো উঠিছে সীমাহঁত। তাৰ পাছতে চাওণ্ড বক্স বন্ধ কৰি অনুৰণে লৈ অনা গীটাৰখন লৈ ময়ূঁৰক গান গাবলৈ জোৰ দিলে

Kaushik

অভিমন্যুয়ে। প্ৰথমে গোৱা নাছিল যদিও চবেই জোৰ কৰাত "আৱেগে" গানটোৰ এটা কলি ধৰিলে সি,

"ৰ'দে ফাঁকু খেলা মোৰ এই মনে বাৰে বাৰে আজি বিচাৰে তোমাক,

তুমি হ'বানে মনৰে জোনাক"

লগে লগে পাছৰ খিনি অভিমন্যুয়েও তাৰ লগতে গালে,

"চকু মেলি মোক এবাৰ চোৱা

বুকুৱেদি নিগৰি যোৱা"

চাৰিওফালে সেউজীয়া, পানীৰ কলকল শব্দ আৰু তাৰ মাজত গান। উফ, সময়বোৰ সদায় ইয়াতে ৰৈ যোৱা হ'লে। সকলোৰে মাজতে এবাৰ অভিমন্যুয়ে সকলোৱে শুনাকৈ ক'লে,

"আজি অনুৰণে কিবা এটা ক'ব দেই।"

সন্ধ্যাৰ বুকুখন ধিপিংকৈ উঠিছিল। আঁৰ চকুৰে মন কৰিছিল তাই অনুৰণলৈ। নাই, সদায়ৰ দৰে চোন আজি সি আঁতৰি যোৱা নাই। লাজো কৰা নাই। অনুৰাধাই চিঞৰিলে লগে লগে,

"কাম অন অনুৰণ"

অনুৰণ থিয় হৈছিলেই। হঠাৎ ফোনটো বাজিল সন্ধ্যাৰ,

"এক মিনিট হা, মায়ে ফোন কৰিছে।" বুলি আঁতৰি আহিল তাই। বাকীবোৰ ব্যস্ত হৈ পৰিল নিজৰ লগত। কোনোবাই ব্ৰেড খাবলৈ ল'লে। দুটা মানে বনোৱাত লাগি দিলে। কোনোবাই ফটো উঠাত লাগিল। এনেতে সকলোৰে কাণত পৰিছিল সন্ধ্যাৰ প্ৰাণকাতৰ মাত,

"অভি---"

হাতত থকা ব্ৰেডখন দলিয়াই আগুৱাই গৈছিল অভিমন্যু। অলপ আঁতৰত সন্ধ্যাক নিজৰ বাহু বন্ধনত লৈ ৰৈ আছে কৌশিক। সন্ধ্যাক তাৰ হাতৰ পৰা মুকলি কৰি এটা প্ৰচণ্ড ঘোঁচা মাৰিলে অভিমন্যুয়ে কৌশিকৰ মুখত। কৰ্ফাল খাই বাগৰি পৰা কৌশিকক পুনৰ গোৰ সোধালে সি। তাৰ পাছত আকৌ এবাৰ তাৰ ডিঙিত ধৰি ঘুঁচিয়ালে,

Kaushik

"বিচাৰি আছিলোঁ তোক ইমান দিনে তোক। আজি শেষ তই।"

কথা বিষম দেখি অনুৰণহঁত উঠি গ'ল চব। আঁতৰাই নানিলে অভিমন্যুয়ে কি কৰে ঠিক নাই। এনেতে বাগি দি কৌশিক দৌৰিবলৈ ধৰিলে জলপ্ৰপাতটোৰ ওপৰৰ ফালে। পিছে পিছে অভিমন্যু।

"অভি, অভি প্লিজ নাযাবি। অভি ৰৈ যা প্লিজ।"

চিঞৰত গগণ ফালিছে সন্ধ্যাই। নাই, সি নৰয়। অনুৰণ ময়ূঁৰহঁত গৈ সেইখিনি পাই গৈ মানে সিহঁত ওপৰ পালেগৈয়ে। ওপৰত পিছল শিলবোৰত কৌশিকক আকৌ ঘুঁচিয়াবলৈ লৈছিল অভিমন্যুয়ে। ময়ূঁৰহঁতে সেইফালেই আগবাঢ়িছিল। তলৰ পৰা চিঞৰিছে সি,

"অভি গুছি আহ"

নাই, একো কাণত পৰা নাই তাৰ। তেনেকুৱাতে ঘটি গ'ল ভয়ংকৰ ঘটনাটো। সকলোৱে ভয় কৰাটোৱেই হ'ল। কৌশিকক এবাৰ ঘোঁচা মাৰিবলৈ লওঁতেই বাগি দি আঁতৰি গ'ল কৌশিক। আনফালে নিজৰ ভৰ ৰখাব নোৱাৰি শিলত পিছল খাই অভিমন্যু বাগৰি পৰিল জলপ্ৰপাতৰ প্ৰৱল সোঁতত। স্তব্ধ হৈ গৈছিল সকলোবোৰ। আকাশ বতাহ কঁপাই চিঞৰ উঠিল সন্ধ্যাই,

"অ----ভি---"

(আগলৈ)

Kaushik

#নিৰিবিলি

Part 125

আকাশখন আজি ভয়ংকৰ ভাৱে গোমা। আহোঁ আহোঁ কৰা বৰষুণজাকক বুকুৰ মাজত লৈ কলীয়া ডাৱৰ কেই চপৰাই গোটেই ইউনিভাৰ্চিটীৰ চৌহদটোক এন্ধাৰৰ সাজ পিন্ধাইছে। পাটকাইৰ ওপৰত অচিন চৰাইৰ ভয় লগা কলৰৱ। ৰাস্তাত বুকু কঁপি যোৱাকৈ ৰাউচি জুৰিছে কুকুৰ কেইটাই। মাজে মাজে দুই এটা গাজনি। পাটকাইৰ গোটেই পাঁচশ জন আৱাসী আজি একেলগে ওলাই আহিছে আগফালৰ চোতাললৈ। কাৰো মুখত মাত নাই। এজন দুজনকৈ বেলেগ ল'ৰা ছোৱালীবোৰো আহি জমা হৈছেহি।

হোষ্টেলটোৰ সমুখৰ বাৰাণ্ডাৰ ষ্টেপটোতে চুলি কোচা মেলি বাউলী হৈ বহি আছে সন্ধ্যা। চকুত শুকান চকু পানীৰ দাগ লৈ সন্ধ্যা যেন সলনি হৈছে নিৰ্জীৱ বস্তুলৈ। বাউলী চুলিৰ পৰা কেইডাল মান গালত আঠা খাই লাগি ধৰিছে। তাইক পৰি নোযোৱাকৈ ধৰি আছে জুৰিয়ে। ছোৱালীখিনিৰ জুমৰ পৰা চেঁপা উচুপনি এটা ওলাই আহিছে। লাহে লাহে ৱাৰ্ডেনো আহি পাইছে। সেই সকলো বোৰৰ মাজত নিষ্প্ৰাণ হৈ পৰি আছে এটা বগা কাপোৰেৰে ঢকা মৃতদেহ। পুতুকণে ফেঁকুৰি ফেকুঁৰি আনি ধূণাৰ মলাটো শ টোৰ মূৰৰ ফালে থৈছেহি। মূহুৰ্ততে ধোঁৱাই ছানি ধৰিছে চাৰিওফাল। কোনোবা এটাই ফুল অলপ আনিও ছটিয়াই দিছে দেহটোত। কাৰো মাত নাই। প্ৰিফেক্ট ৰক্তিমো কান্দি কান্দি বহি পৰিছে কাষৰ বনখিনিত।

"ঘৰলৈ নিবৰ ব্যৱস্থা কৰিব লাগিছিল।"

কোনোবাই ক'লে কথাটো। হয়তো ৱাৰ্ডেনে। ঠিক তেনেকুৱাতে পাটকাইৰ ভিতৰৰ পৰা ভাহি আহিল এটা বুকু ফালি যোৱা আৰ্তনাদ,

"ক'ত গ'ল মোৰ ভাই"

লগে লগেই দুৱাৰমুখত থকা ল'ৰাৰ জুমটো ফালি বাহিৰলৈ দৌৰি ওলাই আহিল অভিমন্যু। কাঁহ পৰি জীণ যোৱা পৰিৱেশত হঠাৎ অভিমন্যুৰ চিৎকাৰত সকলো চঁক খাই উঠিছিল। উন্মাদৰ দৰে হৈ পৰিছে অভিমন্যু। ধূণাৰ মলাটো দলিয়াই দিলে সি বনৰ ফালে,

"কাৰ মূৰটো কৰিছ এইবোৰ" বুলি সি চোতালত পৰি থকা মৃতদেহটোক ঢাকি থোৱা বগা কাপোৰখন আজুৰি আঁতৰাই দিলে। লগে লগে চব ফালেই চেঁপা কান্দোনৰ ৰোল উঠিল। কাপোৰখন আঁতৰি যোৱাত ওলাই পৰিছিল ময়ূঁৰৰ শান্ত মুখখন।

অভিমন্যুয়ে জোকাৰি দিলে ময়ূঁৰৰ নিথৰ দেহটো,

"ঐ, এইবোৰ-- এইবোৰ ধেমালি নকৰ না ভাই। প্লিজ উঠ না। ঐ, মোৰ কথা নুশুন তই? মোৰ শপত ভাই, উঠ না তই।"

কথা কৈ কৈ শেষত আটাহ পাৰি চিঞৰি দিলে সি,

"আবে উঠ না বে। ময়ূঁ---ৰ।"

Kaushik

কান্দোনত ভাঙি পৰিছে অভিমন্যু। ভিতৰৰ পৰা ওলাই আহি অনুৰণে সাৱটি ধৰিলেহি তাক। অনুৰণক ক'লে অভিমন্যুয়ে,

"অনুৰণ, তুমি কোৱা না বে। তোমাৰ কথা শুনেতো সি। তাক কোৱা মই কেতিয়াও নজগাওঁ তাক। কোৱা না অনুৰণ, উঠাই দিয়া না ময়ূঁৰক।"

এইবাৰ অনুৰণক এৰি সন্ধ্যাৰ ওচৰ পালেগৈ অভিমন্যু,

"ঐ সন্ধ্যা, সন্ধ্যা ব'ল না ইয়াক জগাই দিওঁ। আমি পিকনিক যামতো। ব'ল না সন্ধ্যা ইয়াক উঠাই দিওঁ। ই কিয় এনেকে আছে বে। সন্ধ্যা ব'ল না।"

কথা কৈ কৈ সন্ধ্যাৰ ওচৰতে মাটিত বাগৰি পৰিছে অভিমন্যু। চিঞৰত যেন আকাশ বিদাৰি দিব সি। সন্ধ্যা কঁপি উঠিছে মাজে মাজে। চকুৰে আকৌ বৈ আহিছে পানীৰ টোপাল। এনেতে মানুহৰ জুম ফালি দৌৰি দৌৰি সোমাই আহিছে চন্দ্ৰালী আৰু হিমাদ্ৰী। ময়ূঁৰৰ দেহটো ওচৰতে কান্দি কান্দি বাগৰি পৰিছে হিমাদ্ৰী,

"ঐ, মোক তোৰ নিজৰ বা বুলি কৈছিলি নহয়। বায়েৰে কৈছোঁ এতিয়া। উঠ। উঠি যা না ময়ূঁৰ।"

চন্দ্ৰালীয়ে কান্দি কান্দি আহি সন্ধ্যাক আঁকোৱালি ধৰিলেহি,

"এইবোৰ, এইবোৰ কি হৈ গ'ল সন্ধ্যা? কেনেকৈ হ'ল এইবোৰ?"

প্ৰথম বাৰলৈ মুখ খুলিলে সন্ধ্যাই,

"চব মোৰ কাৰণে বা। শেষ কৰি পেলালোঁ মই চব। চব ধ্বংস কৰি দিলোঁ।"

"সন্ধ্যা মনে মনে থাক চোন। কি নো কৈ আছ এইবোৰ।" জুৰিয়ে ফেঁকুৰি ফেঁকুৰি সন্ধ্যাৰ মুখত সোপা দিয়ে। আকৌ চিংকাৰ লয় অভিমন্যুয়ে,

"ময়ূঁ---ৰ, কিয় এনেকুৱা কৰিলি বে তই? এবাৰ অভি বুলি মাত না অ' মোক।"

অহৰহ কান্দি থকা অভিমন্যুক লাহে লাহে চম্ভালিব নোৱাৰা হৈ আহে কোনেও। হাত ভৰি মাৰি এফালৰ পৰা যেন চব ধ্বংস হে কৰি যাবলৈ ওলাইছে। পাটকাইৰ আগফালৰ গছৰ পুলিবোৰ উভালি পেলাইছে সি। এবাৰত পথী আগবাঢ়ি গৈছিল। কিন্তু সি তাইকো ঠেলা মাৰি আঁতৰাই দিলে। শেষত উপায় নাপাই অনুৰণ সন্ধ্যাৰ ওচৰ পালেহি। তাইৰ হাতত ধৰি সি কঁপা কঁপা মাতেৰে ক'লে,

Kaushik

"অভিমন্যুক অকল তুমিহে শান্ত কৰিব পাৰিবা সন্ধ্যা। তুমি ধৈৰ্য ধৰিব লাগিব।"

কাষতে ৰৈ থকা অনুৰাধাইও ক'লে,

"যোৱা সন্ধ্যা, চম্ভালা তোমাৰ অভিক। সি বহুত বেছি ভাগি পৰিছে।"

লাহে লাহে থিয় হ'ল সন্ধ্যা। থৰক বৰক খোজেৰে তাই আগবাঢ়িছিল অভিমন্যুৰ ফালে। তাৰ ওচৰ পাই মাত দিলে তাই,

"অভি"

ফুলৰ টাবটো দলিয়াবলৈ লৈ ৰৈ গ'ল অভিমন্যু। ঘূৰি চালে সি। তাৰ পাছতে দৌৰি আহি সন্ধ্যাৰ ভৰিত উবুৰি খাই পৰিলহি কান্দি কান্দি,

"সি গুছি গ'ল অ' সন্ধ্যা। গুছি গ'ল সি।"

কান্দি কান্দি বাগৰি পৰিবলৈ ধৰা অভিমন্যুক সাৱটি ধৰিলে সন্ধ্যাই। বুকুত মাজত লৈ সৰু ল'ৰাৰ দৰে মূৰত হাত ফুৰাই দিলে। সিও তাইৰ বুকুত সোমাই কান্দিবলৈ লাগিল। একো কোৱা নাই সন্ধ্যাই। কান্দিবলৈ দিছে তাক। লাহে লাহে শান্ত হৈ পৰিছে সি। অথনিৰ উন্মাদ হৈ পৰা অভিমন্যু এতিয়া সৰু ল'ৰাৰ দৰে কান্দি আছে। চকু দুটা মুদি দিলে সন্ধ্যাই। চকুত ভাহি উঠিল সেই ভয়ংকৰ দৃশ্যটো।

Kaushik

"অভি, অভি প্লিজ গুছি আহ।"

চিঞৰি আছিল সন্ধ্যাই তলৰ পৰা। ময়ূঁৰহঁত আগবাঢ়ি গৈ আছিল। কিন্তু কাৰো মাত শুনা নাই অভিমন্যুয়ে। খঙৰ ভমকত হয়তো ক'ত আছে পাহৰি গৈছিল সি। কৌশিকক ঘূঁচিয়াবলৈ গৈ শিলত পিছল খাই অভিমন্যু সৰি পৰিল জলপ্ৰপাতৰ প্ৰৱল সোঁতত।

"অভি---" প্ৰাণকাতৰ চিঞৰ মাৰি উঠিছিল সন্ধ্যাই। সীমাই সেই ভয়ংকৰ দৃশ্য চাব নোৱাৰি চকু মুদি দিছিল। ভৰি স্তব্ধ হৈ গৈছিল অনুৰণহঁতৰ। তেনেকুৱাতে সিহঁতে দেখিছিল শিলৰ সৰু টুকুৰা এটাত ধৰি ৰৈ গৈছে অভিমন্যু। পানীৰ সোঁতে তললৈ থেলি আছে তাক। স্বস্তিৰ নিশ্বাস পেলাইছিল সকলোৱে। অনুৰণ আৰু ৰাজদ্বীপ ওপৰলৈ উঠিবলৈ লৈছিলহে, এনেতে সিহঁতে দেখিলে ইতিমধ্যে সেইখিনি পাইছিলগৈ ময়ূঁৰ। অভিমন্যুক সেই অৱস্থাত দেখি ক'ৰ পৰা কি শক্তি আহিছিল কোনেও নাজানে, একে

দৌৰত ময়ূঁৰ সেই পিছল শিলবোৰত উঠি ওপৰ পালেগৈ। অভিমন্যুৰ হাতো ধৰি ওপৰলৈ টানি আছিল সি। এইফালে অনুৰণহঁতো গৈ আছিলেই। কিন্তু সিহঁত পোৱাৰ আগতেই ময়ূঁৰে অশেষ কষ্টৰে তুলি আনিলে অভিমন্যুক। প্ৰায় অৰ্ধচেতন অৱস্থাত থকা অভিমন্যুক তুলি আনি লেবেজান হৈ পৰিছিল ময়ূঁৰ। শিলৰ ওপৰতে তাক সাৱটি ধৰি উচুপি উঠিছিল ময়ূঁৰে। আধা মেলা চকুৰে অভিমন্যুয়ে চাইছিল তালৈ। তেনেকুৱাতে ঘটিল সেই বুকু কঁপোৱা ঘটনাটো। অভিমন্যুক উঠাই শিলৰ দাঁতিৰ পৰা ওপৰলৈ আনোঁতেই হঠাৎ ভৰি পিছল খালে ময়ূঁৰৰ। ভাগৰত দুৰ্বল হৈ পৰা ময়ূঁৰে চম্ভালিব পৰা নাছিল নিজক। আৰু সৰি পৰিছিল জলপ্ৰপাতৰ বিশাল জলধাৰাৰ মাজেদি। আধা চেতন হৈ থকা অভিমন্যুয়ে হাত মেলি ধৰিবলৈ চাইছিল যদিও সক্ষম নহ'ল। এইফালে অনুৰণহঁত গৈ ঠিক পাইছিলগৈহে। তেতিয়ালৈ পানীৰ সোঁতত নোহোৱা হৈ গৈছিল ময়ূঁৰ।

কিবা ক'বলৈও যেন পাহৰি গৈছিল সন্ধ্যাহঁতে। চিনেমা চিনেমা লগা ঘটনাটো যেন এটা সপোন হৈ আছিল সিহঁতৰ বাবে। পাগলৰ দৰে উন্মাদ হৈ পানীত জঁপিয়াবলৈ ধৰা অভিমন্যুক বহু কষ্টৰে তললৈ আনিছিল অনুৰণ আৰু ৰাজদ্বীপে। তলত আহি "ময়ূঁৰ" বুলি এটা চিঞৰ মাৰি অচেতন হৈ পৰিছিল অভিমন্যু। কিং কৰ্তব্য বিমূঢ় হৈ সন্ধ্যাহঁত উঁৰক পৰা মানুহৰ দৰে থৰ হৈ ৰৈছিল। লাহে লাহে মানুহ গোট খালে। অনুৰণে স্থানীয় পুলিচলৈ ফোন লগাইছিল। কিছু সময়ৰ পাছতে পুলিচ আৰু উদ্ধাৰকাৰী দল আহি উপস্থিত হয়। প্ৰায় ডেৰ ঘন্টাৰ পাছত তেওঁলোকে উদ্ধাৰ কৰিবলৈ সক্ষম হয় ময়ূঁৰৰ প্ৰাণহীন শৰীৰটো। পানীমূৰৰ চৌদিশ কঁপাই চিঞৰি উঠিছিল সন্ধ্যাহঁতে। পাহাৰবোৰত সিহঁতৰ চিঞৰবোৰে থেকা খাই ভয়ংকৰ ৰূপ লৈছিল। কোনেও কাকো সান্তনা দিব পৰা অৱস্থাত নাই। ময়ূঁৰৰ দেহটো সাৱটি লৈ প্ৰথম বাৰলৈ কান্দোনত ভাঙি পৰিছিল অনুৰণ। অভিমন্যু তেতিয়া মূৰ্চ্ছাত। সেইদৰেই আহি ইউনিভাৰ্চিটী পালেহি সিহঁত। খবৰটো বনজুইৰ দৰে বিয়পিছিল। লগে লগে মানুহে ভৰি পৰিছিল পাটকাইৰ চোতাল। মূৰ্চ্ছা গৈ থকা অভিমন্যুক সমুখৰ ৰুমটোৰ চোফাতে শোৱাই কাষত বহি আছিল অনুৰণ। সকলোৰে চকুলো টুকুছিল। আৰু সকলোৰে মাজত নীৰৱ হৈ শান্তিত শুই আছিল ময়ূঁৰ। বন্ধুত্বৰ এক চৰম নিদৰ্শন দাঙি চিৰবিদায় মাগিছিল ময়ূঁৰে।

"সন্ধ্যা, এবাৰ তাক মাতি চাচোন। তই মাতিলে সি উঠিব অ'।"

Kaushik

অভিমন্যুৰ মাতত আকৌ ঘূৰি আহিল সন্ধ্যা। তাক বুজোৱাৰ ভাষা হেৰাই গৈছে তাইৰ। অকল তাই নহয় ইউনিভাৰ্চিটীত চিনাকি গোটেইবোৰে জানে ময়ূঁৰ অভিমন্যুৰ বাবে কি। তাৰ পাছত এনে অৱস্থাত কি বুলি বুজাই তাক! ময়ূঁৰক কেইদিনমান আগত গালি পৰা বিকাশেও তাৰ কাষত আহি কান্দিছেহি,

"ঐ ভাই, এনেকৈ গুছি গ'লি কিয় বে? ইমান বেয়া পাই গ'লি নে ভাই?"

ক'ৰবাৰ পৰা আহি প্ৰিয়ানুজেও চিৎকাৰ কৰি উঠিছেহি,

"কি কৰিলা এইবোৰ ময়ূঁৰ?"

লাহে লাহে মানুহ বাঢ়ি আহিছে। এনেতে ৰাস্তাৰ পৰা ৰাউচি জুৰি আহিছে ময়ূঁৰৰ জেঠায়েক। অৰ্থাৎ সি থকা আশ্ৰমখনৰ মানুহ গৰাকী। ময়ূঁৰৰ দেহটোৰ ভৰিত পৰি হিয়া ধাকুৰি কান্দিছে মানুহ গৰাকীয়ে,

"এই বয়সত মোৰ বুকুত এইকুৰা জ্বলা জুই কিয় দিলা অ' ভগৱান। মোক বুঢ়ীজনীক ৰাখি এই কণমাণি ল'ৰাটোক কিয় কাঢ়ি নিলা।"

তাৰ পাছতে ময়ূঁৰৰ দেহটো জোকাৰি দিছে তেওঁ,

"জোন, অ' জোন। চাচোন মোক এবাৰ। এবাৰ মাতচোন মোক। জোন অ', কিয় গ'লি গৈ অ' জোন তই? আশ্ৰমখনৰ কি হ'ব এতিয়া?"

মানুহবোৰৰ মাজত গুণগুণনি আৰম্ভ হৈছিল,

"ইমান বয়সিয়াল ময়ূঁৰৰ মাক হ'ব জানো?"

"আশ্ৰম বুলি কৈছে যে?"

লাহে লাহে কথাটো সকলোৰে মাজত বিয়পিছিল,

"ময়ূঁৰ অনাথ আছিল। সৰুৰ পৰাই অনাথ আশ্ৰমত ডাঙৰ দীঘল হোৱা সি।"

কথাটো গম পাই উস আস কৰি উঠিছিল সকলোৱে। ৱাৰ্ডেন ছাৰে প্ৰিফেক্টক কৈছিল,

"নিয়াৰ ব্যৱস্থা কৰা"

ইতিমধ্যে গাড়ীও সাজু হ'ল। শেষ বাৰৰ বাবে ময়ূঁৰক এপাহ এপাহ ফুলেৰে শ্ৰদ্ধা যাঁচিলে সকলোৱে। কি ল'ৰা কি ছোৱালী সকলোৰে মাজত কান্দোনৰ ৰোল উঠিছিল।

Kaushik

আজি যেন সৰি পৰিল এপাহি কাঞ্চন। সেউজীয়া চহৰখনত যে আজি এন্ধাৰৰ কলীয়া ছাঁ। দেহটো উঠাবলৈ লওঁতেই সকলোৰে চকুত পৰিল এখোজ দুখোজকৈ আগুৱাই আহিছে কৌশিক। ময়ূঁৰৰ নিথৰ দেহটোলৈ চাই সি সন্ধ্যাৰ ওচৰলৈ গৈছিল। সন্ধ্যাৰ ভৰি চুই কান্দোন মিহলি মাতেৰে কৈছিল,

"এটা সৰু জেদত মই কি কি কৰি গ'লো নিজেই নাজানোঁ সন্ধ্যা। ক্ষমা কৰিবলৈ নকওঁ, পাৰিলে প্ৰাৰ্থনা কৰিবা যাতে মই বেয়াতকৈও বেয়া শাস্তি পাওঁ।"

তাৰ পাছতে ৱাৰ্ডেনৰ ওচৰলৈ গৈ কৈছিল সি,

"ছাৰ, ময়ূঁৰক মই হত্যা কৰিছোঁ। প্ৰিয়াকো ধৰ্ষণৰ চেষ্টা মইয়ে কৰিছিলোঁ।"

ৱাৰ্ডেনৰ ইংগিতত হোম গাৰ্ডে হাত কেৰেয়া লগাই লৈ গৈছিল কৌশিকক। যোৱাৰ আগত ময়ূঁৰৰ দেহটোত সেঁৱা কৰিছিল সি। অনুতাপত দগ্ধ আজি কৌশিক। কিন্তু সময়ে সদায় প্ৰায়শ্চিত্তৰ সুযোগ নিদিয়ে। শুধৰণি সময় কেতিয়াবাই পাৰ হৈছিল কৌশিকৰ বাবে।

লাহে লাহে ময়ূঁৰৰ দেহটো গাড়ীত উঠালেগৈ। লগতে সন্ধ্যা, পখী, অনুৰণ আৰু অভিমন্যুও গ'ল। কান্দি কান্দি মাত ভাঙি গৈছিল অভিমন্যুৰ। খুব ধৈৰ্যৰে সন্ধ্যাই চম্ভালি লৈছিল তাক। ময়ূঁৰৰ শান্ত মুখখনলৈ চাই গোটেই বাটটো চকুপানীৰ বন্যা বোৱাইছিল অভিমন্যুয়ে। গাড়ী আগবাঢ়িছিল নগাঁৱলৈ।

"মমতা অনাথ আশ্ৰম"

সমুখৰ ওখ চাইনবোৰ্ডখনৰ কাষতে এজোপা বকুল। তাৰ পৰাই দীঘলকৈ পদূলিটো। মাজতে সৰু ৰুম এটা। তাৰ কাষেৰে সোমাই গৈ দীঘলীয়া আছাম টাইপৰ ঘৰ এটা। সমুখৰ বহল চোতালখনত শাৰী পাতি বহি আছে এজাক সৰু সৰু ল'ৰা ছোৱালী। চাৰিজনী মান মাইকী মানুহে চম্ভালি আছে সিহঁতক। চোতালৰ তুলসী পুলিটোৰ ওচৰৰ ঠাইখিনি সাৰি মচি ধুনীয়া কৰি থৈছে। গাড়ীখন ৰখোঁতেই সৰু ল'ৰা এটাই কাৰোবাক সেই ঠাইটুকুৰ দেখুৱাই সুধিছে,

"জোন দা ইয়াতে শুব ন?"

kaushik

মাইকী মানুহ কেই গৰাকী একেলৰে গাড়ীখনৰ ওচৰ পালেহি। লগে লগে কান্দোনৰ ৰোল। বাউলী হৈ কান্দিছে তেওঁলোকে। সৰু ল'ৰাটোৱে গাড়ীৰ ভিতৰৰ জেঠাই গৰাকীক সুধিছেহি,

"জেঠাই, জোন দা ক'ত আছে?"

"চা বোপাই, ইয়াতে আছে তহঁতৰ জোন দা।" বুলি তেওঁ আকৌ ভাঙি পৰিছে কান্দোনত। দুই এজন ডাঙৰ মানুহো আগবাঢ়ি আহিছে সকলোৰে সহযোগত নমোৱা হ'ল ময়ূঁৰক। তুলসী জোপাৰ ওচৰতে শোৱাই দিলে তাক। জপৰা চুলি কাষতে বহি পৰিছে অভিমন্যু। যেন এটা নিষ্প্ৰাণ শৰীৰহে তাৰ। একেথৰে ময়ূঁৰৰ মুখখনলৈ চাই ৰৈছে সি। কাষতে থিয় হৈ আছে সন্ধ্যাহঁত। আশ্ৰমত চাৰিওফালে কান্দোনৰ ঢল। সৰু সৰু ল'ৰা ছোৱালীবোৰে "জোন দা কিয় শুই আছা?", "জোন দা উঠা না" বুলি চিঞৰত গগণ ফালিছে। এবাৰত অনুৰণ বাহিৰলৈ ওলাই গ'ল খৰ খোজেৰে। পৰ্থীও তাৰ পিছে পিছে গ'ল। সমুখৰ চাইন বোৰ্ডখনতে ভেঁজা দি ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ল'লে সি। পৰ্থীয়ে গৈ মাতিলে তাক,

"অনুৰণ"

ফেঁকুৰি উঠিছে সি,

"কি ভুল আছিল তাৰ? চবকে ইমান ভাল পায়। চবকে ইমান বুজি পায়। ইমান মৰমিয়াল ল'ৰাটোৰ লগতে এনেকুৱা--"

কান্দি কান্দি বহি পৰে অনুৰণ। তাক বাহুত ধৰি উঠাই দিয়ে পৰ্থীয়ে,

"অনুৰণ, জানো দুখ লাগিছে। কিন্তু সন্ধ্যা আৰু অভিমন্যুৰ কাৰণেই আমি ধৈৰ্য ধৰিব লাগিব। আমি ভাঙি পৰিলে সিহঁতক কোনে চাব ভাবা।"

পৰ্থীৰ কথাত শান্ত হৈ পৰে সি। উভতি আহে। আশ্ৰমৰ ল'ৰা ছোৱালী সকলোৱে ঘোষা গাবলৈ আঠু কাঢ়িছে,

"ব্ৰহ্মাই আদি কৰি জীৱ যত

ৰাম ৰাম ৰাম ৰাম ৰাম

মায়া শয্যা মাজে আছয় ঘুমটি যাই

তুমিসে চৈতন্য সনাতন

Kaushik

ৰাম ৰাম ৰাম ৰাম ৰাম

আমি অচেতন নিয়োক নাথ জগাই"

ঘোষাৰ মাজে মাজে কান্দোনৰ ৰোল। গাই উঠি জেঠায়েক গৰাকীয়ে বগা চুৰিয়া আৰু চেলেং এখন লৈ অভিমন্যুৰ ওচৰলৈ আহি ক'লে,

"জোনৰ মুখাগ্নি তুমিয়ে কৰিব লাগিব।"

এক মুহূৰ্তৰ বাবে অভিমন্যুয়ে বগা সাজযোৰলৈ চালে তাৰ পাছত ময়ূঁৰৰ শুই থকা মুখখনলৈ। লগে লগে চিৎকাৰ কৰি উঠে,

"অসম্ভৱ, মই মই জ্বলাব নোৱাৰোঁ তাক। কেতিয়াও নোৱাৰোঁ। নোৱাৰোঁ মই।"

কৈ কৈ মাটিত বাগৰি পৰা অভিমন্যুক তুলি ধৰি জেঠাই গৰাকীয়ে ক'লে,

"তুমি তাৰ ককায়েক আছিলা সোণ। তোমাৰ বাহিৰে আনে কৰিলে সি মৰিও শান্তি নাপাব।"

অভিমন্যুয়ে সন্ধ্যাক সাৱটি ধৰিলে,

"মই নোৱাৰোঁ অ' সন্ধ্যা। নোৱাৰোঁ মই তাক জ্বলাই দিব।"

"ময়ূঁৰৰ শেষ বিদায় কণ তই নিদিলে আৰু কোনে দিব অভি?" সন্ধ্যাই ক'লে। অৱশেষত অভিমন্যু সাজু হ'ল। অনুৰণে চুৰিয়াখন পিন্ধাই দিওঁতেও বাৰে বাৰে কঁপি উঠিছে। বাৰে বাৰে অভিমন্যুক সাৱটি ধৰি কান্দিছে।

জেঠায়েকে ময়ূঁৰৰ মুখখন ঢাকি দিয়ে কাপোৰখনেৰে,

"যা গৈ যা জোন। দেৱতা হৈ আহিছিলি এদিন, এতিয়া আকৌ দেৱতা হৈ থাক গৈ।"

অনুৰণৰ লগতে আন তিনিটা ল'ৰাই ময়ূঁৰৰ দেহটো উঠাই সাঙীখন দাঙি লয়। অনুৰণে সমুখৰ সোঁফালটো লয়। ল'ৰা ছোৱালীবোৰৰ চিঞৰে কঁপাই তুলিছে পৰিৱেশটো। জেঠায়েকে বুকু টঁকিয়াই কান্দি মজিয়াত বাগৰি পৰিছে। চিঞৰত বাউলী হৈছে সন্ধ্যা। অভিমন্যুক ধৰি লৈ গৈছে আন মানুহ এজনে। সমদলটো আগবাঢ়িছে শ্মশানৰ অভিমুখে।

Kaushik

বহল পথাৰখনত ৰ'লগৈ সমদলটো। আগৰে পৰাই চিতা সাজু হৈ আছিল। সাত জাপ খৰিৰে তৈয়াৰী চিতাত শুৱাই দিলে ময়ূঁৰক। তাৰ ওচৰ চাপি মুখখন উলিয়াই শেষ বাৰলৈ সাৱটি ধৰিলে অভিমন্যুয়ে,

"এবাৰ অভি বুলি মাত না অ' মোক।"

এজন মানুহে ময়ূঁৰৰ ভৰিৰ ওপৰত প্ৰকাণ্ড খৰি এডাল ৰাখিলে। লগে লগে আটাহ পাৰি উঠিল অভিমন্যু,

"কি কৰিছে? নথ'ব এইবোৰ। ৰাতি শোওঁতে গাত ভৰি উঠালেই সি বেয়া পায়। নথ'ব। দুখ পাব সি।"

অনুৰণে সাৱটি ধৰি আঁতৰাই আনিলে তাক। এডালৰ পাছত এডাল খৰিৰে ঢাকি দিয়া হ'ল ময়ূঁৰৰ শৰীৰটো। অভিমন্যুৰ প্ৰাণ কাতৰ চিঞৰত যেন গোটেই পথাৰখনেই কঁপি উঠিছে,

"ময়ূঁৰ, গুছি আহ ঐ। মই কেনেকে থাকিম।"

কোনোবা এজনে জ্বলা জোঁৰ এটা অভিমন্যুৰ হাতত দিলেহি। আকৌ চিঞৰি উঠিলে সি,

"মই নজ্বলাওঁ তাক। সি উঠিব এতিয়া।"

অনুৰণে লৈ গ'ল অভিমন্যুক চিতাৰ কাষলৈ। কঁপা কঁপা হাতেৰে অভিমন্যুয়ে জ্বলি থকা জোঁৰ ডাল লগাই দিলে চিতাখনত। লগে লগে দপদপাই জ্বলি উঠিল ময়ূঁৰৰ চিতা।

"তই কিয় গুছি গ'লি ঐ, মোকো লৈ যা না"

এটা বুকুফলা চিঞৰ মাৰি বাগৰি পৰিল অভিমন্যু। অনুৰণে আঁকোৱালি ধৰিলে তাক। লাহে লাহে ধোঁৱা হৈ উৰি গ'ল ময়ূঁৰ। ফেঁকুৰি উঠিছে অনুৰণ। চকুৰ আগত ভাহি উঠিছিল ময়ূঁৰৰ শান্ত হাঁহিটো, সৰু সৰু অভিমানবোৰ, অভিমন্যুৰ সৈতে কৰা দুষ্টালিবোৰ। সকলো শেষ। সৌৱা, ধোঁৱাবোৰে আকাশ চুইছে গৈ। লগত উৰি গ'ল পাঁচ বছৰীয়া মৰম, ভালপোৱা আৰু বন্ধুত্বৰ সেউজীয়া সময়। অনুৰণে অভিমন্যুলৈ চালে। তাৰ কান্ধতে মূৰ থৈ অচেতন হৈ পৰি আছে সি। এৰা, তাৰ মৰমৰ ময়ূঁৰ একেবাৰে গুছি যোৱাৰ দৃশ্য কোনসতে চাই সি। দুজন সঁচা বন্ধুৰ বিচ্ছেদৰ এই কৰুণ সময়ৰ সাক্ষী হৈ ৰ'ল অনুৰণ।

Kausnik

"অভি"

কাৰোবাৰ চিনাকি মাতত হঠাৎ সাৰ পাই উঠিল অভিমন্যুয়ে। এটা অন্ধকাৰ কোঠাত নিজকে আৱিষ্কাৰ কৰিলে সি। চাৰিওফালে চালে এবাৰ। কেৱল এন্ধাৰ। দুৱাৰখন তলৰ ফাঁকেৰে মাত্ৰ ছিটিকি আহিছে পোহৰৰ সৰু ৰশ্মি। অথনিৰ চুৰিয়া আৰু চেলেংখনেই আছে তাৰ গাত। মাটিত পাৰি থোৱা তুলীত শুই আছিল সি। গাত এখন পাতল কম্বল। ক'ত আছে বা সি।

"অভি"

আকৌ সেই চিনাকি মাত। কোন? কোনে মাতিছে বুলি ঘূৰি চাওঁতেই অভিয়ে দেখিলে ৰুমটোৰ এচুকত থিয় হৈ তাৰ ফালে চাই ৰৈ আছে ময়ূঁৰ। গাত তাৰ বগা সাজ। হাঁহি বিৰিঙি উঠিল অভিমন্যুৰ মুখত,

"মই জানিছিলোঁ এইচব তোৰ নাটক বুলি। কেনেকুৱা ভয় খুৱালি মোক জাননে?"

এটা সেমেকা হাঁহিৰে ময়ূঁৰে ক'লে,

"মই সঁচাকৈ নাই অভি।"

"মিছা কথা, মই নামানোঁ।"

"তই নামানিলেই মিছা হৈ যাব জানো?"

"কিয় এনেকুৱা কৰিলি তই ময়ূঁৰ?"

"মোতকৈ তই জীয়াই থকাটো বেছি দৰকাৰ।"

"চুপ, একদম চুপ থাক। চবতে ওস্তাদি তাৰ।"

অলপ সময় মনে মনে থাকে দুয়ো। অভিমন্যুয়ে ফেঁকুৰি উঠে,

"তই গুছি আহ না ময়ূঁৰ। নহ'লে মইও জীয়াই নাথাকোঁ।"

"তই থাকিব লাগিব অভি। নহ'লে ৰাধাক কোনে চাব?"

"ৰাধা? কোন ৰাধা? মই ৰাধা চাধা চিনি নাপাওঁ। মোক মুঠতে তোক লাগে।"

"মই চোন আছোঁৱেই তোৰ লগতে অভি।"

"মোৰ লগত? ক'তা?"

Kaushik

"সৌৰা চা। মই তোৰ ওচৰলৈ আহি আছোঁ। আহি আছোঁ। এইয়া চা, মই দুৱাৰৰ মুখ পাইছোঁহি। এইয়া মই তোক মাতিছোঁ----"

হঠাৎ দুৱাৰৰ ওচৰত এটা চিনাকি মাত,

"সাৰ পালি অভি?"

চঁক খাই উঠিল অভিমন্যুয়ে। দুৱাৰখন ঠেলি সোমাই আহিল সন্ধ্যা। দুৱাৰখন খোলাৰ লগে লগে এসোপা পোহৰে পোহৰাই তুলিলে কোঠাটো। লগতে লাইটৰ চুইছটো দি দিলে সন্ধ্যাই। সকলো এন্ধাৰ আঁতৰি জিলিকি উঠিল কোঠাটো। অভিমন্যুয়ে ৰুমটোৰ চুকলৈ চালে। ময়ূঁৰ তাত নাই। সন্ধ্যাই অভিমন্যুৰ ওচৰতে বহিল,

"কেতিয়া সাৰ পালি?"

অভিমন্যুয়ে একেথৰে চাই ৰৈছে সন্ধ্যালৈ। কিয় ময়ূঁৰে কৈছিল যে সি আহি আছে ৰুমটোলৈ। কিন্তু ৰুমলৈতো সন্ধ্যাহে আহি আছিল। কথাবোৰ যেন কিবা সাঁথৰ সাঁথৰ। অভিমন্যুয়ে কিবা কোৱাৰ আগতেই ৰুমটোলৈ ময়ূঁৰৰ জেঠায়েক গৰাকী সোমাই আহিল,

"জোনৰ বস্তুবোৰ অনাবলৈ কাইলৈ গাড়ী এখন পঠাম। তোমালোকতো শ্রাদ্ধলৈকে ইয়াতে থাকিবা। কাইলৈ নহ'লে তোমালোকো গৈ কাপোৰ কানি কিবা লৈ আনিবা।"

সন্ধ্যাই মূৰ দুপিয়ালে। মানুহ গৰাকী ওলাই গ'ল। অভিমন্যুয়ে সন্ধ্যালৈ চাই ক'লে,

"ময়ূঁৰৰ ঘৰত মতা নাম জোন আছিল ন সন্ধ্যা?"

"উম। জোন।"

"আৰু তোৰ ঘৰত মতা নামটো--"

"ৰুণজুন"

আকৌ চঁক খাই উঠিল অভিমন্যু। সন্ধ্যাৰ বুকুত জিলিকি আছে কৃষ্ণৰ লকেটটো। ময়ূঁৰে কৈ যোৱা কথাষাৰ যেন ক'ৰবাত বুজি পালে সি,

"মই চোন আছোঁৱেই তোৰ লগতে অভি।"

আছে, ময়ূঁৰ ক'তো যোৱা নাই। তাৰ লগতে আছে। তাৰ কাষতে আছে।

"কি চাইছ?" সন্ধ্যাই সুধিলে।

Kaushik

আচল কথাটো লুকুৱাই অভিমন্যুয়ে ক'লে,

"ময়ূঁৰক সপোনত দেখিছিলোঁ। সি ৰাধাৰ কথা ক'লে।"

অলপ ৰৈ সন্ধ্যাই ক'লে,

"আজিলৈকে নাজানিলোঁ, ৰাধা আচলতে কোন। ক'ত থাকে তাই।"

"ওলাব, ৰাধাও ওলাব। ময়ূঁৰে মোক ৰাধাৰ দায়িত্ব দিছে যেতিয়া ৰাধাকো সিয়েই উলিয়াই দিব।"

সন্ধ্যাই অভিমন্যুৰ মুখলৈ চাইছিল। অথনিতকৈ বহু শান্ত তাৰ মুখখন। ভাল লাগিছিল তাইৰ। সি চম্ভালিব পাৰিছে নিজক। স্বস্তিৰ নিশ্বাস এৰিলে তাই। এটা দীঘল উশাহেৰে অভিমন্যুয়ে সন্ধ্যাক টানি আনিলে তাৰ বুকুলৈ। অস্ফুট মাতেৰে সন্ধ্যাই নুশুনাকৈ ক'লে সি,

"ময়ূঁৰ, মোৰ ময়ূঁৰ।"

Kaushik

পাটকাইৰ সমুখত গাড়ীখন ৰ'লহি। অভিমন্যু নামিল। লগত আৰু দুজন মানুহ। সন্ধ্যাক সোৰণশিৰীত নমাই থৈ আহিছে। নিজৰ কাপোৰ আৰু দৰকাৰী বস্তু লৈ তাইও ইয়ালৈকে গুছি আহিব। শ্ৰাদ্ধলৈকে তাই আৰু অভিমন্যু ময়ূঁৰহঁতৰ আশ্ৰমতে থাকিব। মাজে মাজে অহা যোৱা কৰি থকাৰ কথা দি কালিয়েই উভতি আহিছিল অনুৰণ আৰু পখী। ধূতী পিন্ধি অহা অভিমন্যুৰ সেমেকা ডাৱৰীয়া মুখখনলৈ চাইছিল সকলোৱে। সজল হৈ পৰিছিল সকলোৰে চকু। অভিমন্যু গৈ ময়ূঁৰৰ ৰুমত সোমালগৈ। বহুত কষ্টৰে নিজক ৰখাই থোৱা কান্দোনখিনি আকৌ ওলাই আহিল ৰুমত সোমায়েই। টেবুলখনৰ এচুকত দ'ম হৈ আছে ময়ূঁৰে পঢ়ি থোৱা উপন্যাসবোৰ। বিচনাত দুই এটা কাপোৰ। লগত যোৱা মানুহ কেইজনে ৱাৰ্ডড্ৰবটো খুলি ময়ূঁৰৰ বস্তুবোৰ সামৰিছে। লাহে লাহে শূণ্য হৈ পৰিছে কোঠাটো। অভিমন্যুয়ে হাত ফুৰাই দিলে ময়ূঁৰৰ বিচনাখন। ইয়াতেই শেষ বাৰলৈ শুইছিল সি ময়ূঁৰৰ লগতে। সি বাৰু জানিছিল নেকি? নহ'লেনো তাক কিয় মাতি আনিব লগত শুবলৈ?

"ভাইটি? তুলীখন আঁতৰাব লাগিছিল।"

মানুহজনৰ কথাত অভিমন্যু বহাৰ পৰা উঠিল। মানুহ দুজনে টান মাৰি আনিলে তুলীখন। তেনেকুৱাতে তুলীৰ পৰা কিবা এখন সৰি পৰিল তললৈ। অভিমন্যুয়ে চালে, এখন চিলোৱা বহী। উঠাই ল'লে সি। সি চিনি পাইছে, এইয়া ময়ূঁৰৰ হাতৰ আখৰে লিখা কিবা। কিবা কাহিনী যেন অনুভৱ হ'ল তাৰ। যি হওঁক, বহীখন জঁপাই ল'লে সি। হঠাৎ চঁক খাই গ'ল অভিমন্যুয়ে। কঁপি উঠিছে তাৰ গোটেই শৰীৰ। চকুৰ পলক জপাবলৈও পাহৰি গৈছে। ময়ূঁৰৰ বহীখনৰ সমুখৰ পাতটোত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে,

"ৰাধা"

(আগলৈ)

#নিৰিবিলি

Part 126

"ৰাধা"

Kaushik

কি ৰহস্য সোমাই আছে এই নামটোত? কি কাহিনী লুকাই আছে এই শব্দটোত? যিটো কথা যোৱা পাঁচ বছৰে ময়ূঁৰৰ বাহিৰে কোনেও নাজানিলে। সেই কথাই লিখা আছে নেকি এই বহীখনত? ময়ূঁৰে নিজ মুখেৰে কেতিয়াও প্ৰকাশ নকৰা ৰাধাৰ কাহিনী ক'ব পাৰিব নে এই সৰু সৰু আখৰবোৰে! মানুহ কেইটাক বস্তুবোৰ সামৰিবলৈ দি নিজৰ কাপোৰ অলপ বেগত লৈ অভিমন্যু পাটকাইৰ আগফালে ওলাই আহিল। হাতত সেই বিশেষ বহীখন, "ৰাধা"

আহি থাকোঁতেই সি পাতবোৰ লুটিয়াই আহিছে। প্ৰথম পৃষ্ঠাৰ পৰাই অলপ অচৰপকৈ পঢ়ি চাইছে,

"লখিমী নৈৰ পাৰৰ এখন সেউজীয়া গাওঁ। নাম, গোবিন্দপুৰ। গোবিন্দপুৰৰ বৰমূৰীয়া, মুৰব্বী ধৰ্ম নাৰায়ণ চৌধুৰীৰ একমাত্ৰ নাতিনী, "ৰাধা"। গোবিন্দপুৰবাসীৰ প্ৰাণ, লখিমী নৈৰ যেন স্পন্দন লগতে ধৰ্ম নাৰায়ণৰ নয়নৰ মণি, ৰাধা।"

কঁপি উঠিছে বাৰে বাৰে অভিমন্যু। এইখনতো উপন্যাস, এখন পূৰ্ণাংগ উপন্যাস। উপন্যাসখনৰ মূখ্য চৰিত্ৰটি ৰাধা। তাৰমানে? ময়ূঁৰে তেন্তে অতদিনে! বুজিলে অভিমন্যুয়ে। আঁতৰি গৈছে ৰাধাৰ ওপৰত থকা অতদিনৰ উৰণি।

"অভি, হ'ল তোৰ? মানুহ কেইজন ক'ত?"

হঠাৎ সন্ধ্যাৰ মাতত ভাৱনাত যতি পৰিল অভিমন্যুৰ। পঢ়ি পঢ়ি কোন সময়ত নো পাটকাইৰ গলীটো সাৰি আগফালৰ ৰাস্তাত উঠিলহি অভিমন্যুয়ে নিজেও গম নাপায়। সমুখৰ পৰা সন্ধ্যা আহি আছিল। অভিমন্যুক দেখিয়ে মাত দিছিল তাই। সি একো নোকোৱাত আকৌ সুধিলে,

"কি পঢ়ি আছ এইখন?"

ময়ূঁৰৰ বহীখন জপাই অভিমন্যুয়ে ক'লে,

"ময়ূঁৰৰ ৰাধাক বিচাৰি পালোঁ সন্ধ্যা।"

"কি? কেনেকৈ? ক'ত আছে?" চিঞৰি উঠিল সন্ধ্যাই। অভিমন্যুয়ে বহীখন আগবঢ়াই দিলে তাইলৈ,

"ইয়াতে আছে ৰাধা।"

বহীখন হাতত লৈ "ৰাধা" নামটো পঢ়িলে সন্ধ্যাই। কিন্তু একো বুজি নাপাই আকৌ সুধিলে তাক,

"তাৰ মানে? এইখন চোন কিবা কাহিনী যেন লাগিছে।"

অভিমন্যুয়ে কৈ গ'ল,

"কাহিনী নহয়, উপন্যাস। ময়ূঁৰে নিজে লিখা এখন উপন্যাস। নামটো "ৰাধা"।"

"তেন্তে ৰাধা আচলতে---"

সন্ধ্যাৰ কৈ নহওঁতেই অভিমন্যুয়ে ক'লে,

"এটা উপন্যাসৰ চৰিত্ৰ। ৰাধা কোনো মানুহ নহয়। ৰাধা ময়ূঁৰৰ নিজৰেই সৃষ্টি এটি কাল্পনিক চৰিত্ৰ।"

Kaushik

"কিন্তু ময়ূঁৰে যে ৰাধাৰ লগত কথা পাতিছিল, খোজ কাঢ়িছিল। সেইবোৰ কেনেকৈ সম্ভৱ?"

"সম্ভৱ। আমি দেখাবোৰৰ বাহিৰেও নেদেখা আন বহু কথা থাকে। দেখাবোৰ বিজ্ঞান আৰু নেদেখাবোৰ মনোবিজ্ঞান। মনোবিজ্ঞানত চব সম্ভৱ।"

কথাবোৰ সাঁথৰ সাঁথৰ যেন লাগিছে সন্ধ্যাৰ। বুজা নাই তাই একো। তাই আকৌ সুধিলে,

"মই বুজা নাই অভি। যদি ৰাধা নামৰ কোনো নাইয়ে, তেন্তে ময়ূঁৰৰ ওচৰলৈ ৰাধা কেনেকৈ আহে।"

সন্ধ্যাই বুজিব পৰাকৈ কৈ গ'ল অভিমন্যুয়ে,

"মোৰ দিল্লীত চিনাকি হোৱা এজন বন্ধু আছিল। সি চাইকোলজীৰ ষ্টুডেন্ট। এবাৰ তাৰ লগত নাটকৰ কথা পাতি থাকোঁতেই সি কৈছিল, নাট্যকাৰে যেতিয়া এখন নাটক লিখে তেতিয়া তেওঁ কাহিনীটোত এনেকৈ সোমাই পৰে যে অকলশৰীয়া মূহুৰ্তত সেই কাহিনীৰ চৰিত্ৰ সমূহৰ উপস্থিতি অনুভৱ কৰিবলৈ লয়। আৰু লাহে লাহে বাস্তৱৰ পৃথিৱীখনৰ পৰা তেওঁ বেলেগ হৈ হৈ গৈ থাকে। একেটা কথাই উপন্যাসৰ ক্ষেত্ৰতো খাটে। ময়ূঁৰৰ লগতো সেইটোৱেই হ'ল। সৰুৰে পৰাই সি অকলশৰীয়া। তাৰ নিসংগতাৰ ফলতেই ৰাধাৰ জন্ম হৈছিল। অকলশৰীয়া মূহুৰ্তবোৰত ৰাধা তাৰ প্ৰিয় সংগী হৈ পৰিল। আৰু লাহে লাহে ৰাধাই এখন পূৰ্ণাংগ উপন্যাসৰ ৰূপ পালে।"

আচৰিত হৈ কৈছিল সন্ধ্যা,

"আচৰিত ৰহস্য সোমাই আছিল ময়ূঁৰৰ মাজত।"

"তাকেই। কিন্তু সি ৰাধাক সকলোৰে সমুখলৈ উলিয়াই অনাৰ সুযোগ নাপালে। সময়ে নিদিলেই তাক সেইটো সুযোগ।"

অভিমন্যুৰ কথাই মনটো সেমেকাই তুলিছিল সন্ধ্যাৰো। কি এক আচৰিত ব্যক্তিত্ব আছিল ময়ূঁৰৰ। সকলোকে বাস্তৱৰ পথ দেখুৱাই ফুৰা ল'ৰাটো নিজেই যে এক কল্পনাৰ মায়াজালত সোমাই আছিল ভাবিলেই আচৰিত লাগে। কল্পনাৰ কিমান প্ৰখৰ শক্তি থাকিলে উপন্যাসৰ এটি চৰিত্ৰক নিজৰ সংগী কৰি ল'ব পাৰে সেয়া অকল ময়ূঁৰে জানিব কিজানি। অভিমন্যুয়ে বহীখন বুকুত সাৱটি ক'লে,

Kaushik

"কিন্তু ময়ূঁৰৰ ৰাধাক মই উলিয়াই আনিম। এইখন উপন্যাস যিকোনো প্ৰকাৰে মই ছপা কৰিম। সকলোৰে সমুখত ৰাধাৰ উৰণি মই গুছাম। মৃত্যুৰ পাছতো এই ৰাধাৰ নামতে তাক অমৰ কৰি ৰাখিম মই। ৰাধাৰ লেখক হিচাপে ৰৈ যাব সি সদায়।"

অভিমন্যুৰ চকুহাল চলচলীয়া হৈ উঠিছিল কথাখিনি কওঁতে। সন্ধ্যাই তাৰ বাহুত হাত থৈ কৈছিল,

"মইও আছোঁ তোৰ লগত অভি। ময়ূঁৰক জীয়াই ৰাখিম আমি।"

অভিমন্যুৰ চকুত পৰিছিল, সন্ধ্যাৰ ডিঙিৰ কৃষ্ণৰ লকেটটো ৰ'দ পৰি জলমলাই উঠিছিল।

ময়ূঁৰৰ বস্তু ভৰাই গাড়ীখন অহাত অভিমন্যু আৰু সন্ধ্যা আশ্ৰমলৈ ঘূৰি আহিল।

বগা কাপোৰেৰে লাহে লাহে বেৰি ধৰিছে আশ্ৰমৰ চোতালখন। কেইদিন মানৰ পাছতে ময়ূঁৰৰ শ্ৰাদ্ধ। উফ! "শ্ৰাদ্ধ", এই সৰু শব্দটোও কিমান ভয়ংকৰ হৈ উঠে যেতিয়া ই আপোন কাৰোবাৰ সৈতে বান্ধ খায়। বগা কাপোৰবোৰে চাৰিওফাল মেৰ খোৱাৰ লগে লগে অভিমন্যুও যেন অধিক অশান্ত হৈ পৰিছে। কোনে কয়, বগা শান্তিৰ প্ৰতীক! এই বগা ৰঙৰ শ্ৰাদ্ধৰ ৰভাই কমাব পাৰে জানো আপোনজনৰ বিয়োগৰ বেদনা। বগা সাজযোৰে শান্ত কৰিব পাৰে নে স্বামীহীনা নাৰীৰ বুকুৰ যাতনা!

Kaushik

ময়ূঁৰ আৰু শ্ৰাদ্ধ, কি যে অসহ্য এই দুটা শব্দত একলগ কৰিবলৈ। তথাপি সকলো সহি ধৈৰ্য ধৰি আছে অভিমন্যু। তাৰ কাষে কাষেই আছে সন্ধ্যাও। জুপিতৰা মেমে তাইক শ্ৰাদ্ধলৈকে তাতে থাকিবলৈ অনুমতি দিছে। মেমে বুজি পাই, সেইবাবে সন্ধ্যা থাকিব পাৰিছে। কেতিয়াবা ভাবে সন্ধ্যাই, সকলো মানুহ মেমৰ দৰেই হোৱা হ'লে।

"সন্ধ্যা, সন্ধ্যা। ক'ত গ'ল এইজনী? সন্ধ্যা, শুনিছনে?"

চিঞৰি চিঞৰি সন্ধ্যাৰ ৰুমৰ পৰা ওলাই গ'ল অভিমন্যু। সিহঁতক থাকিবলৈ দুটা সুকীয়া ৰুম দিছে আশ্ৰমত। সন্ধ্যাৰ ৰুমটোতে অৱশ্যে সেই জেঠাই গৰাকী থাকে। অভিমন্যু হে ৰুমত অকলে। দিনটো তাৰ ওচৰে ওচৰে সন্ধ্যা থাকেই। এই কেইদিন হে অলপ তাই দুই এটা কামত হাত মিলাইছে। অকল পাঁচজনী মানুহে গোটেই আশ্ৰমৰ কামবোৰ কৰি অঁতাই আকৌ শ্ৰাদ্ধৰ কামতো দৌৰিব লগা হয়। সেইবাবে সন্ধ্যাই সকলোৰে মানা কৰাৰ পাছতো চকুত পৰা দুই এটা কাম কৰি থয়। এতিয়াও চাগে

কিবা কামতেই লাগিল। ধূতীখন চোঁচৰাই চোঁচৰাই অভিমন্যু তাইৰ ৰুমলৈ গৈছিল গৈ। ৰুমত তাইক নাপাই দীঘল কৰিডৰটোৰে "সন্ধ্যা সন্ধ্যা" বুলি চিঞৰি ওলাই আহি আছিল। বাটতে কোনোবা সৰু ল'ৰা এটাই দেখি ক'লে,

"দাদা, বা জনী জোন দাৰ ৰুমলৈ গৈছিল। সৌফালে। তাতে আছে নেকি।"

ল'ৰাটোৰ মূৰত মৰমেৰে হাত ফুৰাই দিলে অভিমন্যুয়ে। এই কেইদিন সিহঁত কেইটা মান সদায় তাৰ লগতে লাগি আছে। সিহঁতৰ জোন দাদাকেনো ইউনিভাৰ্চিটীত কি কি কৰিছিল সেয়া শুনাব লাগে। বুকুত শিল ৰাখি হ'লেও অভিমন্যুয়ে কৈ যায় ময়ূঁৰৰ কাহিনী। কেনেকৈ ময়ূঁৰক আমনি কৰিছিল সি, কেনেকৈ ময়ূঁৰে গোটেই পাটকাইত দৌৰাইছিল তাক কথাবোৰ কৈ কৈ সিদিনা কান্দি পেলাইছিল সি। তেতিয়া সিহঁতবোৰেই অভিমন্যুৰ চকুপানী মচি দি বুজাইছিল,

"নাকান্দিবা অভি দা, জোন দাই আমাক চাই আছে নহয় আকাশৰ পৰা।"

"অভি দা", এই কেইদিনতে অভিমন্যু সিহঁতবোৰৰ মাজত মৰমৰ "অভি দা" হৈ গৈছে। সিহঁতৰ কথাতে বিশ্বাস কৰি অভিমন্যুয়ে কেতিয়াবা ৰাতি একেথৰে জোনবাইটোলৈ চাই ৰয়। মুখেৰে কেতিয়াবা কয়,

"ঐ গৰু, দেখি আছ নাই মোক?"

Kaushik

এৰা, কিছুমান বিশ্বাসক বিশ্বাস কৰিয়েই ৰাখিব লাগে। যদি বিশ্বাসে মনটোক অলপ সময়ৰ বাবে হ'লেও সজীৱ কৰে, তেন্তে যুক্তিৰ তুলাচনীৰ প্ৰয়োজন কিয়! সেই বিশ্বাসতে আজিকালি অভিমন্যুৰ জোনবাইৰ লগত কথা পতাটো কিবা অভ্যাসৰ দৰেও হৈছে। এদিন সন্ধ্যাই দেখিছিল। একো নকৈ হাঁহি মাৰি আঁতৰি গৈছিল তাই। এৰা, বিচাৰিব জানিলে আপোনজনৰ অনুভৱ সকলোতে পোৱা যায়। প্ৰয়োজন মাত্ৰ হেঁপাহ আৰু বিশ্বাসৰ।

"কি হ'ল অভি দা? জোন দাৰ ৰুমটো চিনি নোপোৱা নেকি? সৌফালে আকৌ।"

কথাবোৰ পাগুলি ৰৈ থকা অভিমন্যুক ঠেলা এটা মাৰি এফালে আঙুলিয়াই দেখুৱালে ল'ৰাটোৱে। অভিমন্যুয়ে তাৰ চুলিখিনি জোকাৰি দি আগবাঢ়িল ৰুমটোলৈ। কৰিডৰটোৰ একেবাৰে চুকৰ ৰুমটো ময়ূঁৰৰ। তাতে তাৰ কিতাপৰ আলমাৰিটো, টেবুল আৰু বিচনা। জেঠাই গৰাকীয়ে সকলো বস্তু আটোম টোকাৰিকৈ সজাই থৈছে। দিনটোৰ কামৰ মাজতো কোনোবা পাকত ৰুমটোত সোমাই চকুপানী টুকা অভিমন্যুয়ে দেখিছে।

হুমুঁনিয়াহ এটা সৰাই অভিমন্যুয়ে ৰুমটোৰ পৰ্দাখন দাঙিলে। লগে লগে বৈ গ'ল সি। ভৰি দুখনো যেন নিজে নিজে থমকিছে। বুকুখনৰ বিষটো উক দি উঠিল আকৌ। লগতে ময়ূঁৰৰ কথাষাৰো,

"মইতো সদায় তোৰ কাষতে আছোঁ।"

ময়ূঁৰৰ বিচনাখনত শুই আছে সন্ধ্যা। বুকুত এখন নীলা ৰঙৰ কিবা কিতাপ। মেলি থোৱা চুলিখিনিত খিৰিকীৰে বৈ অহা ৰ'দজাকে পোহৰৰ বোল সানিছে। অভিমন্যু থৰ হোৱাৰ অন্যতম কাৰণটো হ'ল, সন্ধ্যাৰ কাণত ওলমি আছে এডাল হেডফোন। অলপ সময় তাইলৈ একেথৰে চাই ৰৈছিল অভিমন্যুয়ে। এইয়া সন্ধ্যা নে? নে....।

"আইজনী, তোমালোকৰ ইউনিভাৰ্চিটীৰ কোনোবা আহিছে।"

কৰিডৰত কোনোবাই চিঞৰি কৈ থৈ গ'ল। এতিয়াহে মনত পৰিল অভিমন্যুৰ, পাটকাইৰ হোষ্টেলৰ ফালৰ পৰা ৱাৰ্ডেন ছাৰ, প্ৰিফেক্ট আৰু দুজন মান ষ্টুডেণ্ট আহি আছে বুলি ফোন কৰিছিল। সি সেইটোকে ক'বলৈ সন্ধ্যাক বিচাৰিছিল। কথাটো গম পাই মন নথকা সত্বেও সি সন্ধ্যাক গাটোত জোকাৰি দিলে। তাই থকমককৈ উঠিল। অভিমন্যুয়ে ক'লে,

"অথনিৰ পৰা চিঞৰি আছোঁ। ইমান টোপনি নে?"

হেডফোন ডাল খুলি কিতাপখন জপাই টেবুলৰ ওপৰত থ'লে তাই,

"নহয় অ'। হেডফোন ডাল লাগি আছিল যে। পাটকাইৰ মানুহ পালেহি নেকি?"

"তই গম পাঁৱ মানে?"

"ৰণে ফোন কৰিছিল।"

ঘপকৈ কথাটো কৈ কিবা এটা ভুল কৰাৰ দৰে জিভাখন কামুৰি ৰৈ যায় সন্ধ্যা। অভিমন্যুৰ চকুত খেলি উঠে দুষ্টালিৰ হাঁহি এটাই। তাইৰ ওচৰ চাপি সি সোধে,

"কোনে ফোন কৰিছিল?"

"মানে অনুৰণে"

"অনুৰণে নে ৰণে?"

Kaushik

"যাহ এইডাল" বুলি দৌৰি ৰুমটোৰ পৰা ওলাই যাবলৈ লওঁতেই সন্ধ্যাক অভিমন্যুয়ে থাপ মাৰি ধৰি ৰখায়,

"ৰ ৰ। এই ধূতীখন ঠিক কৰি দে।"

দিনটোত তাৰ কেইবাৰ ধূতী সুলকে ঠিক নাই। সন্ধ্যাই ভোৰভোৰাই ধূতীখন ঠিক কৰে,

"ধূতী এখন চম্ভালিব নাজান, বুঢ়া হ'লি হি।"

অভিমন্যুয়ে হাঁহি থাকে তাইলৈ চাই।

"হাঁহিছে চা, নিলাজ ডাল। যা সোনকালে। মই চাহ নি আছোঁ।"

বুলি সন্ধ্যা ওলাই যায়। অভিমন্যুৰ মুখত হাঁহিটোৰ লগতে এটা হুঁমুনিয়াহো ওলমি ৰয়। সন্ধ্যাই কেনেকৈ জানিব, তাইৰ মাজত অভিমন্যুয়ে কাক বিচাৰি পাইছে।

"সন্ধ্যা, মই চাহ কৰিলোঁয়েই। তুমি বেয়া নোপোৱা যদি বাকি দিবা নেকি? এইয়া কাপ কেইটা উলিয়াই থৈছোঁৱেই।"

পাকঘৰত সোমাওঁতেই মানুহগৰাকীয়ে সন্ধ্যাক। এই কেইদিনতে সন্ধ্যা নিজৰ দৰে হৈ পৰিছে তেওঁলোকৰ। কাম বন কৰাৰ উপৰিও সুখ দুখৰ কথাও সন্ধ্যাৰ লগতে পাতে। তাইও মাহী মাহী বুলি বৰ আদৰ কৰে তেওঁলোকক।

"দিয়ক মাহী। মই বাকি দিম।"

বুলি সন্ধ্যাই চাহৰ কেটলিটো হাতলৈ ল'লে।

"তুমি লৈয়ে যাবা হা চাহখিনি মই ৰিতুহঁত স্কুলৰ পৰা আহিল সিহঁতৰ কাপোৰ সলাই দিওঁগৈ।"

কথাটো কৈ তেওঁ খৰধৰকৈ ওলাই গ'ল। ভাল লাগে সন্ধ্যাৰ এওঁলোকলৈ। এগৰাকীৰো বিয়া নহ'ল, কিন্তু মাতৃৰ অকৃত্ৰিম মমতাৰে তুলি তালি ডাঙৰ কৰিছে আশ্ৰমৰ বিছটাতকৈও অধিক শিশু।

মজিয়াতে বহি সন্ধ্যাই চাহ বাকিবলৈ লাগিল। খিৰিকীৰে সোমোৱা বতাহজাকত তাইৰ কাষৰ চুলিবোৰে উৰি আহি চকুত পৰি আমনি কৰিছেহি। হাত দুখন বন্দী হৈ থকাৰ

Kaushik

বাবে বাহুটোৰেই চুলিখিনি আঁতৰোৱাৰ বৃথা চেষ্টা চলাই আছে তাই। এনেতে কোনোবাই আহি সন্ধ্যাৰ চুলিখিনি কাণৰ কাষলৈ ঠেলি দিলে। এই পৰশটো চিনি পাই সন্ধ্যাই। মূৰ নোতোলাকৈয়ে ক'লে তাই,

"পালাহি?"

হাঁহি মাৰি উত্তৰ দিলে অনুৰণে,

"নেদেখাকৈয়ে চিনি পালানে মোক?"

"তোমাক নাপাম নে চিনি?"

অনুৰণে মিচিকিয়াই। সন্ধ্যাই চাহৰ ট্ৰেখন লৈ বাহিৰলৈ যাবলৈ লৈছিল। তাইৰ চূৰ্ণীখন চুঁচৰি যোৱা দেখি অনুৰণে মাতিলে,

"ৰ'বা"

"কি হ'ল?" সন্ধ্যা ৰৈ গ'ল। অনুৰণে তাইৰ ওচৰ চাপি চূৰ্ণীখন উঠাই দিলে। লগতে দুয়োফালে মিলাই বুকুৰ ওপৰত ভালকৈ সজাই দিলে।

"থেংক ইউ মিষ্টাৰ" বুলি হাঁহি এটা মাৰি সন্ধ্যা ওলাই গ'ল। পিছে পিছে অনুৰণো।

Kaushik

অৱশেষত হৈ গ'ল ময়ূঁৰৰ শ্ৰাদ্ধ। অভি সন্ধ্যাৰ লগতে পখী আৰু অনুৰণো গোটেই দিনটো আছিল তাত। প্ৰথমৰ ক্লাছটো কৰি জুৰি অনুৰাধা প্ৰিয়াহঁতো গোটেইবোৰ গুছি আহিছিল। লাগি ভাগি দিছিলহি। অভিমন্যুয়ে চুলি খুৰাইছিল। শ্ৰাদ্ধৰ দিনা আকৌ কান্দি কান্দি ভাগি পৰিছিল সি ময়ূঁৰৰ ফটোখন সাৱটি। শেষত সন্ধ্যাই নিজৰ লগতে ৰাখিছিল তাক।

শ্ৰাদ্ধৰ পিছদিনা আশ্ৰমৰ পৰা উভতি আহোঁতে জেঠাই গৰাকীৰ লগতে সকলোৰে চকু ভৰি উঠিছিল। সৰু সৰু ল'ৰা ছোৱালীবোৰে অভিমন্যুক যেন এৰিয়েই দিব নোখোজে। সি গোটেই কেইটাকে মৰম কৰি কৈছিল,

"মই আহি থাকিম। আৰু সদায় ফোন কৰিম। তোমালোকে ভালকৈ পঢ়িবা দেই। জোন দাদাই চাই আছে নহয়।"

জেঠাই গৰাকীৰ হাতত ধৰি অভিমন্যুয়ে কৈছিল,

"জেঠাই, ময়ূঁৰ হেৰাই গৈছে বুলি কেতিয়াও নাভাবিব। এতিয়াৰ পৰা মই আছোঁ আপোনালোকৰ লগত। এই আশ্ৰমখনক লৈ ময়ূঁৰৰ যি যি সপোন আছিল, সেয়া মই পূৰ কৰিম।"

জেঠায়ে সাৱটি ধৰিছিল তাক। সন্ধ্যাই ভৰি চুই সেঁৱা কৰিছিল তেওঁক,

"মন চন মাৰি নাথাকিব জেঠাই। মই আহি থাকিম।"

অশ্ৰুসিক্ত নয়নেৰে উভতি আহিছিল অভিমন্যু আৰু সন্ধ্যা। লগত অভিমন্যুয়ে লৈ আনিছিল ময়ূঁৰৰ "ৰাধা"ক। এই কাহিনীটো উপন্যাস ৰূপে প্ৰকাশ কৰি উলিওৱাৰ প্ৰতিজ্ঞা লৈছিল সি। ময়ূঁৰক বুকুত ৰাখি সিহঁত পুনৰ ইউনিভাৰ্চিটী পাইছিলহি।

অভিমন্যু কাইলৈ ৰাতিপুৱাই যাবগৈ। পথী আগতেই গ'ল। সি হে অনুৰণে জোৰ কৰাত দুদিন থাকি দিলে। কিন্তু এতিয়া যাবগৈ। সন্ধ্যাহঁতৰ মিড টাৰ্মো পাইছেহি। ইফালে মহামাৰী ক'ৰোনাৰ কোব বাঢ়ি আহিছে। কোনো কোনোৱে কৈছে হয়তো বন্ধও দি দিব পাৰে। যদি সঁচাকৈ সেয়ে হয়, তেন্তে ইয়াতে বন্দী হ'ব লাগিব। সেই বাবেই যাবলৈ ওলাইছে অভিমন্যু। অৱশ্যে তাৰ লগতে অন্য এটা কাৰণো নথকা নহয়। ময়ূঁৰবিহীন কেম্পাছটো লাহে লাহে অসহ্য হৈ আহিছে তাৰ। বিশেষকৈ হোষ্টেলখনত সোমালেই যেন বুকুখন উশাহ ল'ব নোৱাৰাকৈ গধূৰ হৈ পৰে। সন্ধিয়া অনুৰণ, ৰাজদ্বীপহঁতৰ লগত ঘূৰি থাকিলেও একো নোকোৱাকৈ চুপ হৈ থাকে সি। সকলো থকাৰ পাছতো যে আচৰিত শূণ্যতাই বেৰি ৰাখে তাক অনবৰতে। কেৱল সন্ধ্যা লগত থাকিলেহে অলপ সজীৱ হয় সি।

কাইলৈ যাবগৈ বাবে আজি আবেলি সন্ধ্যাৰ লগতে ওলাই আহিল সি। কেম্পাছত এনেই কথা পাতি পাতি খোজকাঢ়ি আছিল দুইটাই। সন্ধ্যাই মাজতে সুধিলে,

"নগ'লে নহয় নে?"

"এনেও যাব লাগিবই দেখোন। ক'ৰোনাৰ কাৰণে যদি বন্ধ দি দিয়ে তেতিয়া নোৱাৰা হ'ম যাব।"

তাৰ কথাত একো নামাতে সন্ধ্যাই। তাইও বুজি পাই, ময়ূঁৰ নথকাকৈ অভিমন্যু ইয়াত থকাটো কিমান কষ্টকৰ। কথাটো সলাবলৈকে তাই ক'লে,

Kaushik

"ময়ূঁৰৰ কিতাপখনৰ কথাটো কি ভাবিছ?"

"লৈ যাম লগতে। প্ৰথমতে পঢ়ি চাম। তাৰ পিছত পাব্লিছাৰ বিচাৰিম। যদি পালেতো ভালেই। নাপালেও মোৰ লগতে থৈ দিম। পাছত চাকৰি পালে টকা জমা কৰি নিজে পাবলিছ কৰিম। মুঠতে উলিয়ামেই।"

গহীন সুৰত কয় সি কথা কেইটা।

"তাত বহোঁ ব'ল।"

কাঞ্চনজংঘাৰ পুলটোলৈ আঙুলিয়াই সন্ধ্যাই।

"নবহোঁ তাত।" বুলি অভিমন্যু আঁতৰি যাব খোজে যদিও সন্ধ্যাই জোৰকৈ টানি লৈ যায়। উপায় নাপাই বহি পৰে সি। চকুযোৰ সজল হৈ উঠে আকৌ। এই ঠাইখিনি কিমান যে উকা হৈ পৰিছে আজি। গছৰ পাত এটাও যেন লৰা নাই। অভিমন্যুৰ হাত এখন নিজৰ মাজলৈ আনি সন্ধ্যাই ক'লে,

"অভি"

"ক"

"এনেকৈ মন মাৰি থাকিলে কেনেকৈ হ'ব কচোন। তইয়েইতো কৈছিল ময়ূঁৰে আমাক চাই আছে। সি জানো সুখী হ'ব তোক এনেকৈ দেখি?"

অভিমন্যুয়ে একো উত্তৰ নিদিলে। অলপ সময় সন্ধ্যালৈ চাই ক'লে,

"তোক এটা কথা কওঁ?"

"ক"

"তোৰ ঘৰত মতা নামটো ৰুণজুন ন?"

"অঁ, ৰুণজুন।"

"তোক মই জোন বুলি মাতিলে বেয়া পাবি নেকি?"

অভিমন্যুৰ কথাত কিবা এটা যেন বুজি পাইছিল সন্ধ্যাই। মিচিকিয়া হাঁহি এটাৰে ক'লে তাই,

"তোক মই বেয়া পাম নেকি গৰু?"

Kaushik

সন্ধ্যাক আঁকোৱালি লৈছিল অভিমন্যুয়ে,

"সদায় থাকিবি মোৰ লগত জোন।"

"সদায় আছোঁ।"

সন্ধ্যাৰ চকুৰেও বৈ আহিছিল পানীৰ টোপাল। ক্রমাৎ এন্ধাৰ নামিছিল। আকাশত জোনটোৱে সিহঁতলৈ চাই যেন মিচিকিয়াই হাঁহিছিল।

পৰীক্ষা নে কৰোনা?

লাহে লাহে হাঁহাকাৰ লাগিছে সকলোৰে মাজত। কৰোনাই ভয়ংকৰ ৰূপ লৈছে হেনো। ৰাজ্যৰ কিছু কিছু কলেজ বন্ধও দিছে। কিন্তু তেজপুৰ ইউনিভাৰ্চিটী আগৰ দৰেই নিজৰ সিদ্ধান্তত অটল, পৰীক্ষা হ'বই। আকৌ জাঙুৰ খাই উঠিছে ছাত্ৰ ছাত্ৰী,

"হাৰে মৰি হাজি পৰীক্ষা দিম নেকি?"

"চব ফালে হাঁহাকাৰ, আমাৰ কি ইমান পৰীক্ষা পতাৰ জোচ?"

"আমাৰ লাইফৰ কি ভেল্যু নাই?"

আচলতে ক'ৰোনা এটা বাহানা আছিল। সকলোকে বন্ধ লাগে। মিড টাৰ্মৰ আগত দীঘলীয়া বন্ধ এটা পালে কাৰ নো ভাল নালাগিব? গতিকে ক'ৰোনাই সুযোগ দিছেই যেতিয়া লোৱাত কিহৰ আপত্তি!

সেইদিনা আবেলি ক্লাছৰ পৰা বাহিৰে শ্বপিং কম্প্লেক্সলৈ গৈ থাকোঁতে জুৰি আৰু সন্ধ্যাই এইবোৰ কথাই পাতি গৈ আছিল। এইটো ছেমিষ্টাৰত এটাৰ পাছত আন এটা সমস্যা আহি থকাৰ বাবে সন্ধ্যাৰ পঢ়াও হোৱা নাই। গতিকে বন্ধটো দিলে বেয়া নহয়। ঘৰত কেইদিন মান থাকি ভালকৈ পঢ়ি একেবাৰে পৰীক্ষা দিবহি। তাতে এইবাৰ সিহঁতৰ ডিজাৰটেশ্যনো আছে।

"ঐ সন্ধ্যা, এইখন চা না।"

কিতাপৰ দোকানখনত সোমাই হাতত সৰু ডায়েৰি এখন লৈ জুৰিয়ে ক'লে। সন্ধ্যাইও হাতত লৈ চাইছিল। একেবাৰে সৰুও নহয়, একদম জোখৰ বৰ মৰম লগা ডায়েৰিখন। সন্ধ্যাই এনেও ডায়েৰি এখন কিনাৰ কথা ভাবিয়ে আছিল। এইটো সিহঁতৰ লাষ্ট ছেম,

Kaushik

সেইবাবে যোৱাৰ আগত সকলোকে কিবা এটা এটা লিখি দিবলৈ দিয়াৰ কথা ভাবিছিল তাই। জুৰিক এদিন কথাটো কৈছিল বাবেই তাই দেখুৱাইছিল। সেইবাবে এতিয়া ডায়েৰিখন দেখি কিনিয়েই ল'লে সন্ধ্যাই।

"হুঁ ল, ফাৰ্ষ্ট তইয়ে লিখ।"

ডায়েৰিখন কিনি ঘূৰি আহোঁতে জুৰিলৈ আগবঢ়াই সন্ধ্যাই ক'লে। জুৰিয়ে লগে লগে উত্তৰ দিলে,

"না না। মই ফাৰ্ষ্ট নিলিখোঁ দেই। ফাৰ্ষ্ট তেখেতক দে আকৌ।"

"কোন তেখেত বা?"

"ইচ, এতিয়া নজনাই হ'ল তাই। মিষ্টাৰ হাজৰিকা আকৌ।"

জুৰিৰ কথাত তলমূৰ কৰিছিল সন্ধ্যাই। জুৰিয়ে হাঁহি হাঁহি ক'লে,

"লাজ কৰিব নালাগে দে। চা, অনুৰণেতো লাজত এনেও মুখৰ আগত একো নকয়েই। গতিকে মোৰ মতে তই এইখন দে তাক। চাবি, সি ইয়াতেই লিখিব তাৰ মনৰ কথা।"

জুৰিৰ কথাটোৱে ভবাই তুলিলে সন্ধ্যাক। সঁচাই, সকলো পৰিস্কাৰ হ'লেও এতিয়ালৈকেতো অনুৰণে মুখ খুলি কোৱাও নাই তাইক। ময়ূঁৰৰ ঘটনাটোৰ পাছত বহুদিন সিহঁত গোটেইবোৰৰ মনবোৰ মৰি থকাৰ বাবে এনেবোৰ কথা উলিওৱা নাছিল। কিন্তু এতিয়াতো সিহঁতৰ যাবৰেই হ'ল। এতিয়াও সি একো নক'ব নে? নাই, ক'ব লাগিব। সন্ধ্যাই দিবই তাক এইখন। তাই জানে, অনুৰণে লিখিব ইয়াতে। তাৰ মনৰ সকলো নোকোৱা কথা।

জুৰি হোষ্টেললৈ যোৱাৰ পাছতে Essential ত বৈ সন্ধ্যাই অনুৰণলৈ ফোন লগাই মাতিলে। দুই মিনিটৰ ভিতৰতে আহি পালে সি,

"কোৱা, কিয় মাতিলা।"

"ইচ, কিবা কাৰণ থাকিলে হে মাতিব পাৰি নেকি?"

"আটছা, তেন্তে? ফুৰিব যাবা নি?"

অনুৰণৰ কথা কোৱাৰ ধৰণটোত হাঁহি উঠিছিল সন্ধ্যাৰ। হাঁহি হাঁহি তাই ক'লে,

Kaushik

"হ'ব। এই মিড টাৰ্মৰ আগত ক'তো ফুৰিব নাযাওঁ। তোমাক বস্তু এটা দিব আছিল।"

"কি?"

ডায়েৰিখন তালৈ আগবঢ়াই সন্ধ্যাই ক'লে,

"এইখন লোৱা। মুখ ফুটাইতো ইমান দিনে একো ক'বই নোৱাৰিলা। এইখন দিছোঁ। ইয়াতে কিবা লিখি দিবা। ফেয়াৰৱেল বুলি।"

"এই মাৰ্চতে ফেয়াৰৱেল দিলাই যে? আৰু দুমাহ আছেই চোন।"

"ফেয়াৰৱেল দিয়া নাই বুদ্ধু। লিখিবলৈ দিছোঁ। নহ'লে আপোনাৰ হ'ল আৰু। এনেই আৰু তোমাক মই "নীৰৱ" নামটো দিছিলোঁ নে?"

কথাটো কৈ খিলখিলাই হাঁহি উঠিল সন্ধ্যাই। সলাজ হাঁহিৰে ডায়েৰিখন লৈছিল অনুৰণে। পলাশৰ ৰঙাবোৰ যেন থূপ খাইছিল তাৰ মুখখনত।

Kaushik

সন্ধ্যাহঁতে ভবাতকৈও পৰিস্থিতি অধিক ভয়ানক হৈছিল মহামাৰীত। ভাৰতত দিনক দিনে বাঢ়ি আহিছিল কৰোনাত আক্ৰান্ত ৰোগীৰ সংখ্যা। লগে লগে বাঢ়িছিল মৃত্যুৰ হাৰো। সংক্ৰমক হোৱাৰ বাবে এই ৰোগটো সোনকালে এজনৰ পৰা আন এজনলৈ বিয়পে। এটা ভাইৰাছে যেন এফালৰ পৰা ধ্বংস কৰি আনিছিল পৃথিৱীখন। অসমত এতিয়ালৈকে হোৱা নাই যদিও আশংকা নথকা নহয়। শেষত চৰকাৰে ঘোষণা কৰিলে, ৰাজ্যৰ সকলো শিক্ষানুষ্ঠান এক সপ্তাহৰ বাবে বন্ধ। লগে লগে সকলো স্কুল, কলেজ, ইউনিভাৰ্চিটী বন্ধ হৈ গ'ল। হোষ্টেলত থকা ল'ৰা ছোৱালীবোৰ ঘৰলৈ উভতিবলৈ লৈছিল। কিন্তু তেজপুৰ ইউনিভাৰ্চিটী নাচোৰবান্দা। পৰীক্ষা পাতিবই। পুনৰ জাঙুৰ খাই উঠিল ছাত্ৰ সমাজ,

"ভাবিছে কি বুলি ইউনিভাৰ্চিটীয়ে?"

"আমাৰ বেমাৰ হ'লে ৰিস্ক কোনে ল'ব?"

"ক'ৰোনা কি TUৰ কেম্পাছত নাহে নেকি?"

ফেচবুক, হোৱাটচ এপত আকৌ চলিল TUক লৈ ঠাট্টা মস্কৰা। মিম বনোৱাই মিম বনালে, কৌতুক কৰাই কৌতুক কৰিলে। মুঠতে বন্ধ লাগে।

পৰীক্ষালৈ মাজত এদিন মাত্ৰ। এতিয়ালৈকে অফিচিয়েল নটিছ একো অহা নাই যদিও অহুকাণে পহুকাণে খবৰটো বাগৰিছে, বন্ধ হেনো দিব। তথাপি সন্ধ্যাহঁতে বিশ্বাস কৰা নাই। TU য়ে ইমান সহজে মানি যে ল'ব আশা নাই। কাউন্সিলৰ লগত মিটিং হৈ আছে হেনো প্ৰশাসনৰ। তথাপি সকলো পঢ়াৰ ব্যস্ততাত।

পৰীক্ষাৰ আগদিনা কথাটো প্ৰায় সঁচা বুলিয়েই ওলাল, যে বন্ধ বোলে দিব। কিন্তু নটিছ একো নাই। কোনে কাক বিশ্বাস কৰিব। ভাগ্যকে ধিয়াই পঢ়া শুনাতে লাগি আছে আমাৰ ৰাইজ। ঘনে ঘনে নটিফিকেচন চেক কৰিছে, কিজানি ভাল খবৰ আহেই। নাই, একো নাই।

লাইব্ৰেৰীৰ পৰা পঢ়ি উভতি আহোঁতে সন্ধ্যাই খঙেৰে অনুৰণক ক'লে,

"একদম বেয়া পাইছোঁ যোৱা তোমাক।"

"কিয়?"

"কেতিয়াবাই দিলোঁ ডায়েৰিখন। আজিলৈকে ঘূৰাই নিদিলা।"

"নহয় মানে!"

"কি নহয় মানে?"

অলপ ৰৈ অনুৰণে ক'লে,

"ঠিক আছে, কাইলৈ পৰীক্ষাৰ পাছত দি দিম। হ'বতো?"

"সঁচা? বঢ়িয়া।" ফুৰ্তিতে চিঞৰি দিছিল সন্ধ্যাই। তাই জানে, অনুৰণে নিশ্চয় তাত লিখি দিছে অতদিনৰ নোকোৱা কথাটো। সোৱণশিৰীৰ গেট পাই সন্ধ্যাই ক'লে,

"ৰণ, শুনা না।"

"কোৱা"

"যদি কাইলৈৰ পৰা সঁচাই বন্ধ দিয়ে, পৰহিলৈ আমি গণেশ ঘাটলৈ যাম হা।"

অনুৰণে হাঁহিছিল,

"বন্ধ দিব ঘৰত যাবলৈ। ফুৰিবলৈ নহয়।"

"যামতো ঘৰত। তথাপি তাৰ আগত এপাক গণেশ ঘাট যাম। যাবা নে?"

Kaushik

"ঠিক আছে। যাম দিয়া।"

অনুৰণৰ কথাত হাঁহি মাৰি হোষ্টেললৈ যায় সন্ধ্যা। তাই জানে, কাইলৈ যেতিয়া অনুৰণে তাইৰ ডায়েৰিত লিখি দিব তাৰ পাছত সিহঁতে অলপ সময় অকলশৰে কটাব। অনুৰণৰ লগত কিছু নিৰিবিলি সময় পাৰ কৰিব সন্ধ্যাই। বহুত কথা পাতিব। তাৰ বাবে গণেশ ঘাটতকৈ উত্তম ঠাই আন কি হ'ব পাৰে! কেনেকুৱা লাগিব বাৰু, প্ৰথম যেতিয়া অনুৰণক তাই প্ৰেমিক ৰূপে সমুখত পাব! কথাবোৰ ভাবি ভাবি বিচনাত পৰেগৈ সন্ধ্যা।

পৰীক্ষা দি ওলাই অনুৰণলৈ ৰৈ আছিল সন্ধ্যা। সি ডায়েৰিখন দিব তাইক। য'ত লিখা থাকিব অতদিনৰ নোকোৱা সেউজীয়া বুকুৰ কথাবোৰ। বুকুৰ ঢকঢক বাঢ়িছিল তাইৰ। অনুৰণে জানিছিল তাই ৰৈ থাকিব বুলি। অলপ পাছতে ডায়েৰি আনি তাইৰ হাতত দিলেহি। ৰৈ থাকিব পৰা নাছিল সন্ধ্যা। খৰখোজেৰে আহি কেতিয়া নো ৰুম পালেহি গমেই নাপালে। ৰুম পাইয়ে লগে লগে ডায়েৰিখন উলিয়াই ল'লে তাই। উফ, উশাহবোৰ বন্ধ হৈ যাব এতিয়া। ইমান মাদকতা আছে ভালপোৱাত। প্ৰথম পৃষ্ঠাটো মোকলাই সন্ধ্যাই। কি লিখা আছে বাৰু? চিধা চিধিকৈ লিখিবনে সি? আচৰিত হৈছিল সন্ধ্যা। পৃষ্ঠাটো খালী। তাৰ পিছৰটোও উকা এটা দুটাকৈ প্ৰথমৰ পৰা চাই চাই ডায়েৰিখনৰ মাজৰ পাতটো লৈকে চালেগৈ তাই। নাই, একো নিলিখিলে অনুৰণে। চকু দুটি ভৰি আহিছিল তাইৰ। ইমান মৰমেৰে তাই দিছিল, সি এনেকুৱা কৰিব লাগে নে। খঙত তাই দলিয়াই দিলে ডায়েৰিখন। গৈ বিচনাৰ তলত পৰিলগৈ। খুব খং উঠিছে তাইৰ। কিয় এনেকুৱা এই ল'ৰাটো। বুজি পালেও কিছুমান অনুভৱ প্ৰকাশ কৰিলেওতো ভাল লাগে। কিয় নুবুজে সি।

এনেতে বাহিৰত চিঞৰ বাখৰ শুনি ওলাই আহিল সন্ধ্যা। চব ফালে এনেকুৱা হৈছে যেন কিবা উৎসৱ হে। কোনোবাই বিয়া নাম গাইছে, কোনোবাই বিহু। ৰাস্তাত চবৰে আড্ডা। সন্ধ্যাই বুজা নাই আচলতে হৈছে কি? পাছত হে প্ৰিয়াই ক'লে কাইলৈৰ পৰা হেনো বন্ধ। অৱশেষত TUয়েও বন্ধ দিলেগৈ। এক সপ্তাহৰ বাবে বন্ধ দিছে। বঢ়িয়া, বন্ধ দিলেই যেতিয়া কাইলৈ গণেশ ঘাটতে তাই অনুৰণক চব কথা ক'ব এইটোও ক'ব যে তাই তাক ভাল পায়। তাই বুজে, সিও ভাল পাই তাইক। কিন্তু বেচেৰাৰ লাজ। সন্ধ্যাৰ মৰমো লাগে তালৈ। থাকক। সি লাজ কৰিয়ে থাকক। সন্ধ্যাই নিজে আগভাগ ল'ব। মনতে কথাবোৰ জুকিয়াই থয় তাই।

Kaushik

ৰাতিলৈ কেম্পাছত মেলাৰ দৰে পৰিৱেশ। Essentialৰ আড্ডায়েই চাবা নে, নিৰিবিলিৰ প্ৰেমেই চাবা। "কৰোনা ভেকেচন" পাই চবৰেই ফুৰ্তিত তৎ নাই। সন্ধিয়া অনুৰণৰ মেচেজ আহিল সন্ধ্যালৈ,

"Diary pohila?"

মেছেজটো পাই টিঙিছকৈ খংটো উঠিল তাইৰ। একো লিখাতো নাইয়ে, এতিয়া আকৌ কথা সুধিছে চোৱা। খঙতে তাই দিলে,

"Pohilu"

"Eku nukua?"

আকৌ খং উঠিল তাইৰ। কি আচৰিত ল'ৰা। খঙেৰেই দিলে তাই,

"Kiba koboloi rakhila janu?"

অনুৰণৰ পৰা একো মেচেজ নাহিল তাৰ পাছত। প্ৰিয়াহঁতৰ লগত আড্ডা মাৰি মাৰিয়েই শুই গ'ল সন্ধ্যা। পিছদিনা অনুৰণৰ লগত গণেশ ঘাটলৈ যোৱাৰ কথা।

ৰাতিপুৱা শুই উঠা দেৰি হ'ল সন্ধ্যাৰ। গা পা ধুই আজৰি হয় মানেই বাৰটা বাজি গ'ল। দুপৰীয়া ভাত কেইটা খাই আবেলিয়েই গণেশ ঘাটলৈ যোৱাৰ কথা ভাবিলে তাই। এবাৰ অনুৰণক কথাটো কৈ থোৱা যাওঁক বুলি তালৈ ফোন লগালে। দুবাৰত ধৰিলে সি,

"কোৱা সন্ধ্যা"

"অনুৰণ, তিনিটা মানত ওলাম হা।"

"ক'লৈ?"

"গণেশ ঘাট আকৌ।"

সি অলপ ৰৈ ক'লে,

"মই ঘৰলৈ আহিলোঁ সন্ধ্যা।"

সন্ধ্যাৰ হাঁহি উঠিল। হাঁহি হাঁহিয়ে ক'লে তাই,

"ফটুৱামি নকৰিবা ৰণ।"

Kaushik

"মই সঁচাই কৈছোঁ। মৰ্ণিং ছটাতে আহিলোঁ মই।" অনুৰণৰ গহীন মাত।

খঙত মাতটো ডাঙৰকৈ ওলাল সন্ধ্যাৰ,

"কিবা হৈছে নেকি তোমাৰ? কৈছিলোঁ দেখোন--"

টুট টুট

কথাটো কৈ নহওঁতেই ফোনটো কাটি গ'ল। কাটি গ'ল নে কাটি দিলে সি! সন্ধ্যাই আকৌ লগালে।

"কথা পাতিবলৈ মন যোৱা নাই সন্ধ্যা। বাই।"

সৰগ পৰা মানুহৰ দৰে থৰ হৈ গৈছিল সন্ধ্যা। ক'ত কি হৈ গ'ল? অনুৰণে এনেকুৱা কৰিছে? নে তাই ভবাৰ দৰে সি তাইক ভাল পোৱাই নাছিল? তেন্তে সিদিনাৰ সেই সন্ধিয়াটো কি কেৱল কামনাৰ প্ৰকাশ আছিল? মূৰটো আচন্দ্ৰাই কৰি আহে সন্ধ্যাৰ। চকুৰ আগতে হেঁপাহৰ সপোনটো টুকুৰা টুকুৰকৈ ভাঙে। খেলিমেলিবোৰত আউল লাগি যায় অনুভূতিবোৰৰ। গাৰুত মূৰটো থৈ উচুপি উঠিছে সন্ধ্যাই।

কাষৰ ৰুমত কোনোবাই লগাই থোৱা "মন যায়"ৰ কলিটো কাণত পৰিছেহি,

"টুকুৰা টুকুৰা ভাঙি গুৰি হোৱা মনটোক কিদৰে জোৰা দিওঁ

খেলি মেলিবোৰে ধুই শেঁতা কৰা বুকুত কিহৰেনো ৰং সানো

বেদনা বেদনা মোৰ ভালপোৱা

তোমাক হেৰুৱাই পাথৰ হিয়া

মন যায়....."

(আগলৈ)

#নিৰিবিলি

Part 127

Kaushik

সি জানিও ক'ব নাজানে, আৰু তাই জনাবোৰো নুবুজে। এনেদৰেই শেষ অবিহনেই শেষ হয় এটা আধৰুৱা সাধুকথা।

শূণ্যত উলমি সপোনবোৰে যেন ভেঙুচালি কৰিছে আজি সন্ধ্যাক। টোকোনা হেঁপাহবোৰেও পুতৌ কৰিছে তাইক। এই যে বাস্তৱটো, ই ইমান কঠুৱা নে! সময়ৰ সৈতে সঘনাই ষড়যন্ত্ৰ কৰি বাৰে বাৰে যেন খুন্দিছে তাইৰ জীৱনটোক। সপোন, হেঁপাহ, আশা আৰু সন্ধ্যাৰ মাজৰ মইজনীক কুঁৱলীৰ বগা আস্বাদনে নেদেখা কৰি আনিছে ক্ৰমশঃ।

কিয়? কিয় কৰিলে এনেকুৱা অনুৰণে? তাৰ মৰমবোৰ ইমানেই অভিমানী নে, বাৰে বাৰে যে ঠিকনা পাহৰে! এবাৰলৈও তাইক লগ কৰিব নোৱাৰিলে নে সি? হঠাৎ এইদৰে গুছি যোৱাৰ কি কাৰণ? সি ভাল নাপাই বুলি চোন ভাবিব নোৱাৰে তাই। কেৱল কামনাৰ বাবেই এজনী ছোৱালীৰ কাষ চপা ল'ৰা অনুৰণ নহয়। তেন্তে? যদি সি ভাল নাপাই, তেন্তে সেয়া কি কেৱল আৱেগৰ জোৱাৰত হৈছিল? উফ, অসহ্য। অসহ্য এই অনুভৱৰ বেমেজালিবোৰ।

বিচনাখনতে বহি ৰৈছে সন্ধ্যা বহু সময়। বৈ বৈ শুকাই যোৱা চকুপানীৰ দাগবোৰেও যেন প্ৰশ্ন কৰিছে আজি তাইক, কিয়? কিয় হ'ল এনে?

"সন্ধ্যা, লান্স কৰোঁ বৈ।"

চিঞৰি চিঞৰি প্ৰিয়া সোমাই আহিল ৰুমলৈ। খৰধৰকৈ চকুপানীৰ দাগবোৰ মচি ল'লে সন্ধ্যাই। আৱেগ সামৰাৰ পাঁচ বছৰীয়া অভিজ্ঞতাৰে সন্ধ্যা এতিয়া পুষ্ট। প্ৰিয়াই সোমাই আহিয়ে ক'লে,

"ব'ল খাই লওঁ। তই টাউন যাম কৈছিলি নহয়।"

"মই ঘৰ যাওঁ প্ৰিয়া।"

সন্ধ্যাৰ কথাত প্ৰিয়া আচৰিত হ'ল,

"আকৌ বোলে আজি থাকিবি?"

"নাথাকোঁ। যাম গৈ আজিয়েই।"

Kaushik

কথাটো কৈয়ে সন্ধ্যাই বস্তু সামৰাত লাগিল। ৱাৰ্ড্ৰবৰ পৰা বেগটো লৈ চকুতে পৰা কাপোৰ কেইটা ভৰালে। লগতে দুই এখন কিতাপ। এবাৰত প্ৰিয়াই হাতত ধৰিলে তাইৰ,

"হৈছে কি কচোন। ঘপকৈ ঘৰ যাঁৱ যে? অনুৰণৰ লগত কিবা লাগিলি নি?"

সন্ধ্যাই হাতখন আঁতৰাই দি ক'লে,

"কথাও যে সোধ, অনুৰণৰ লগত লাগিবলৈ কি আছে আকৌ?"

"কিয়, তহঁত দুটাতো--"

প্ৰিয়াৰ কৈ নহওঁতেই সন্ধ্যাই হাঁহি উঠিল,

"ধেৎ, তোৰো যে কথা।"

হাঁহি হাঁহিয়েই আকৌ বস্তুবোৰ সামৰিলে সন্ধ্যাই। হাঁহিটো ইমান বিষ থাকিব পাৰে সন্ধ্যাই প্ৰথম বাৰলৈ অনুভৱ কৰিছিল সেই দিনা।

"হ'ব দে যাবি বাৰু। কিন্তু যোৱাৰ আগত ভাত কেইটা একেলগে খাই যাওঁ ব'ল।"

প্ৰিয়াৰ কথাত আকৌ হাঁহি উঠিল সন্ধ্যাৰ,

"তই এনেকুৱাকৈ কৈছ, যেন আমি একেবাৰে হে যাবলৈ ওলাইছোঁ। এসপ্তাহৰ পাছত আকৌ আহিব লাগিবয়েই চোন।"

হঠাৎ গহীন হৈ গ'ল প্ৰিয়া,

"নাজানো কিয়, মোৰ কিবা মনটো বেয়া বেয়া লাগি আছে অ'। এনেকুৱা লাগিছে আমাৰ যেন ইয়াতেই শেষ হ'ব।"

সন্ধ্যাই তাইৰ কথাটো উৰাই দি ক'লে,

"থৈ দে অ' তোৰ এইবোৰ চিক্স চেন্স। চেন্টি ফালিবলৈ ফেয়াৰৱেললৈ এতিয়াও দুমাহ আছে দে। ব'ল বাৰু, তোৰ কাৰণেই ভাত কেইটা খাই যাওঁ।"

বেগটোৰ চেইন ডাল মাৰি আঁতৰাই থৈ সন্ধ্যা আৰু প্ৰিয়া ডাইনিং ৰুম পালেগৈ। সমুখতে প্লাৱিতা ৰৈয়ে আছিল। সিহঁতক দেখিয়ে ক'লে তাই,

"অথনিৰে পৰা ৰৈ ৰৈ আমনি লাগি গৈছে গৈ।"

Kaushik

কথা পাতি পাতি সিহঁত ডাইনিং ৰুমত বহিল গৈ। ছোৱালীবোৰ প্ৰায়বোৰ গৈছে গৈয়ে। দূৰৈৰ কেইজনী মান হে আছে। প্ৰিয়া আৰু প্লাৱিতাও কাইলৈ ৰাতিপুৱাই যাব। খোৱাৰ মাজতে প্লাৱিতাই এবাৰ সন্ধ্যাক জোৰ কৰিছিল,

"থাকি যোৱা না সন্ধ্যা। আজি ফুৰোঁ অলপ গোটেইবোৰ।"

কিন্তু সন্ধ্যা নাথাকিল। ভাত খাইয়ে প্ৰিয়াহঁতক মাত লগাই তাই ওলাই আহিল। ৰুমত বাহিৰত থকা বস্তুবোৰ ৱাৰ্ড্ৰবত ভৰাই থ'লে। ঘৰত পিন্ধা কেইটা মান কাপোৰ, অলপ কিতাপ আৰু লেপটপটোহে লগত ল'লে। এসপ্তাহৰ পাছত আহিব লাগিবয়ে যেতিয়া গোটেইবোৰ বস্তু নি কৰিবনো কি!

দুৱাৰত তলাটো লগাই ওলাই আহিল তাই সোৱণশিৰীৰ পৰা। সন্ধ্যাৰ বিচনাৰ তলত নীৰৱে পৰি ৰৈছিল সেই বিশেষ ডায়েৰীখন।

Kaushik

Essentialৰ সমুখৰ বাছষ্টপটোতে ৰৈছে গৈ সন্ধ্যা। অলপ পাছতে বাছখন ইয়াতে ৰ'বহি। দুজনী আন ছোৱালীও ৰৈছেহি তাতে। বয়জ হোষ্টেলৰ ফালৰ পৰা ল'ৰা এটাও আহিছে। ফাগুণৰ পাতলীয়া বতাহ এজাক বৈ আছে। বাছষ্টপটোৰ কাষৰ কাঞ্চন জোপাৰ তলটো গোলপীয়া হৈ আছে সৰাফুলেৰে। সন্ধ্যা আগুৱাই গৈ এপাহ তুলি ল'লে আলফুলে। অকলশৰীয়া সময়খিনিত তাইৰ আকৌ অনুৰণলৈ মনত পৰিল। সি বাৰু ধেমালি কৰিছিল নেকি? নাই, তেনে হোৱা হ'লে এতিয়ালৈকেতো ফোন কৰিলেহেঁতেন। সন্ধ্যাই আকৌ ফোন এটা কৰে নেকি তালৈ? ফোনটো লগাইও কাটি দিলে তাই। থাকক। মেচেজ এটাকে দিব নেকি? পুনৰ মেচেজটো লিখিও মচি দিলে। থাকক। সি হে তাইক এৰি গৈছে। সি নিজেই দিয়ক। তাই বেয়া পাব বুলিও নো নাভাবিলে নে সি। নিশ্চয় কিবা জৰুৰী কাম ওলাল। কিন্তু তাইক নোকোৱাকৈ কিয় যাব লাগে! আৰু তাতে আগদিনা ডায়েৰিত একো নিলিখি খং উঠায়েই থৈছে তাইৰ। কিয় যে এনেকুৱা এই অনুৰণ ল'ৰাটো।

"সন্ধ্যা, ক'ৰবালৈ যোৱা নেকি?"

কাৰোবাৰ মাতটো শুনি উভতি চালে সন্ধ্যাই। প্ৰাগজ্যোতিকাৰ ফালৰ পৰা জুৰি আৰু অনুৰাধা ওলাই আহিছে। সন্ধ্যাও আগবাঢ়ি গ'ল,

"ঘৰলৈ যাওঁ।"

"ঘৰ? তইতো আজি থকাৰ কথা?" জুৰিয়ে সুধিলে।

"থকাৰ কথা আছিল। এতিয়া গৈ থাকোঁ। মাৰ গা টো বৰ ভাল নহয় বোলে।"

ঘপকৈ কিয় জানো ফাঁকিটো ওলাই গ'ল সন্ধ্যাৰ মুখেদি। হয় কেতিয়াবা, আৱেগবোৰ ঢাকিবলৈ ফাঁকিৰ আশ্ৰয় ল'ব লগা হয়। সন্ধ্যাও লয়। ল'বলৈ শিকিলে।

বাছখন ৰ'লহি। জুৰিহঁতক "আহোঁ" বুলি কৈ সন্ধ্যা বাছত উঠিল।

"ঐ, ঘৰৰ পৰা লৈ আনিবি কিবা।" জুৰিয়ে চিঞৰিলে। সন্ধ্যাই হাঁহিৰে মূৰ জোকাৰিছিল। বাছ আগবাঢ়িল। কাঞ্চনজংঘাৰ পুলটো পাৰ হওঁতে কিয় জানো সন্ধ্যাৰ বুকুখন গধূৰ হৈ পৰিছিল। সাত দিনৰ পাছতে উভতি আহিবই তাই। তেও চোন কিবা খালী খালী লাগিছে মনটো। লগতে ময়ূঁৰলৈও মনত পৰিল। ময়ূঁৰ থকা হ'লে অনুৰণ এইদৰে নগ'লহেঁতেন। তাই জানে, ময়ূঁৰে অনুৰণ আৰু তাইক কাষ চপাবলৈ বহুত কিবা কিবি কৰিছিল আগতে। এইবাৰো সি কিবা উপায় উলিয়ালে হয় চাগে। নহ'লে তাইকেই কিবা বুজালে হয়। তাৰ বুজনিত আশ্বস্ত হয় সন্ধ্যাও। নিষ্ঠুৰ কালে ল'ৰাটোক বৰ সোনকালে কাঢ়ি লৈ গ'ল। কথাখিনি ভবাৰ লগে লগে চকুযোৰ চলচলীয়া হৈ পৰিছিল সন্ধ্যাৰ। বাছখন মেইন গেট পাৰ হৈ ওলাই গ'ল। সন্ধ্যাই ছিটটোত হাওলি চকুহাল মুদি দিলে। সপোনতো ভবা নাছিল সন্ধ্যাই এয়ে যে শেষৰ আৰম্ভণি।

Kaushik

আমি নজনাকৈয়েই সময়ে আমাৰ বিৰুদ্ধে সজাই তোলে নিয়তিৰ চক্ৰব্যেহু। সেই ব্যেহুত সোমাই ককবকাই থাকে সপোনবোৰে। সন্ধ্যাই ভাবিছিল অনুৰণে তাইলৈ মেচেজ নাইবা ফোন কৰিব। কিন্তু নাই, ঘৰ আহি পোৱাৰ এদিন দুদিনকৈ চাৰিদিনেই পাৰ হ'ল অনুৰণৰ মেচেজ ফোন একোৱেই নাই। সন্ধ্যাইও নিজে উপযাচি কৰা নাই। মনতে ভাবি থৈছিল তাই, বন্ধ খুলিলেই ইউনিভাৰ্চিটীত গৈ প্ৰথম অনুৰণক লগ কৰিব। গালি পাৰিব তাক। তাইৰ হেঁপাহবোৰক অৱহেলা কৰাৰ অধিকাৰ ক'ত পালে সি। অনুৰণে ক'ব লাগিব তাইক, কিয় তাইক নজনোৱাকৈ গুছি আহিল। আৰু তিনিদিনৰ পাছতে উভতি যাবয়েই। তেতিয়াই সকলো ঠিক কৰিব সন্ধ্যাই। কিন্তু সময়ৰ যেন আৰু বেলেগ খেল খেলিবলৈ আছিল।

"আজ চে পুৰী ভাৰত মে ইক্কিছ দিন কে লিয়ে চম্পূৰ্ণ লকডাউন হ'নে যা ৰহা হে।"

খবৰটোৱে জোকাৰি গৈছিল গোটেই দেশক। গোটেই ভাৰতত একৈছ দিনৰ লকডাউনৰ?

"আমাৰ অসমতো হ'ব নেকি?"

সন্ধ্যাৰ প্ৰশ্নটোত ভেকাহি মাৰি আহে খুৰাকে,

"অসম ভাৰতৰ বাহিৰত নেকি?"

এৰা, সকলোতে হৈছে যেতিয়া অসমতো হ'ব। খং উঠে সন্ধ্যাৰ। অসমতনো কিয় দিব লাগে। এতিয়ালৈকে অসমত চোন ক'ৰোনা ৰোগী এজনো ওলোৱা নাই। এতিয়ালৈকে ওলোৱা নাই যেতিয়া নহয় আৰু। এতিয়া আকৌ একৈছ দিন ঘৰতে বন্দী।

সেই দিনাই ৰাতি শুবলৈ লওঁতে মোবাইলটো লৈ বহু সময় বহি আছিল সন্ধ্যা। কি কৰে, অনুৰণক দিব নেকি মেচেজ এটা? কিন্তু এইবোৰ মেচেজত পতা কথা জানো? শেষত ঠিক কৰিলে তাই, এনেই খবৰ লোৱাৰ দৰেই মেচেজ দিব তাই।

"Ki khobor" বুলিয়ে দিলে প্ৰথমতে। অনুৰণ অনলাইন আছে। সময় পাৰ হ'ল। এক দুইকৈ দহমিনিট। অনলাইন থকাৰ পাছতো তাইৰ মেচেজ চোৱা নাই যে? কাৰোবাৰ লগত জৰুৰী কথা পাতি আছে চাগে বুলি ফোনটো থ'লে সন্ধ্যাই। প্ৰায় আধা ঘন্টাৰ মূৰত ৰিপ্লাই আহিল,

"Bhal"

সন্ধ্যাই আকৌ দিলে,

"Lockdown dise 21 days. University u sage bondho e dibo noh?"

গোটেই দেশত লকডাউন। ইউনিভাৰ্চিটী খোলাৰ প্ৰশ্নয়েই নাই। তথাপি এনেই সুধিব লাগে বুলিয়ে সুধিলে সন্ধ্যাই। এইবাৰ লগে লগে অনুৰণৰ মেচেজ,

"Umm"

কি দিব সন্ধ্যাই? অনুৰণৰ প্ৰতিটো মেছেজত ভাহি আহিছে অৱজ্ঞাৰ স্পষ্ট সুৰ। মোবাইলটো অফ কৰি তাই গাৰুটোত গুজি দিলে মুখখন। বুকুৰ শিলটো পাতল কৰি বৈ গৈছিল অশ্ৰুৰ পাৰভঙা ঢল।

Kaushik

সময়বোৰ ভবাতকৈও বেয়া হ'বলৈ লৈছিল। ক'ৰোনাই ভয়ংকৰ ৰূপ লৈ লাহে লাহে যেন তাণ্ডৱ নাচিছিল পৃথিৱীবাসীৰ ওপৰত। অৱশ্যে পৃথিৱীবাসী বুলিলে ভুল কোৱা হ'ব। কাৰণ কভিডৰ প্ৰভাৱ অকল মানৱ জাতিৰ ওপৰতহে পৰে। গোটেই বিশ্বৰ লকডাউনৰ সময়ত মুক্ত মনে বিচৰণ কৰি ফুৰিছে অন্য প্ৰাণীজগতে। যেন প্ৰকৃতিৰ ওপৰত মানুহে কৰা অত্যাচাৰৰ এক ভয়ংকৰ প্ৰতিশোধহে। এই প্ৰতিশোধৰ কঁৰাল গ্ৰাসৰ পৰা সাৰি নগ'ল অসমো। প্ৰথমাৱস্থাত অসমত কোনো ৰোগী ধৰা নপৰিল যদিও লাহে লাহে এজন এজনকৈ বাঢ়ি আহিল ৰোগীৰ সংখ্যা। গোটেই বিশ্বত বাঢ়ি গৈ থাকিল মৃত্যুৰ হাৰ। তাৰ লগে লগে বাঢ়ি গ'ল লকডাউনৰ দিন। মাত্ৰ একৈছ দিনীয়া লকডাউনে এমাহ অতিক্ৰম কৰিও গ'ল। অসহায় মানৱ সমাজ, নীৰৱ বিজ্ঞান, চাৰিওফালে ত্ৰাহিমান, মৃত্যুৰ জয়গান।

সময় পাৰ হোৱাৰ লগে লগে সন্ধ্যাহঁতৰ অনলাইন ক্লাছবোৰ আৰম্ভ হ'ল। বহাগ বিহুৰ আগত ইউনিভাৰ্চিটী খোলাৰ কোনো সম্ভাৱনা নাই। কিন্তু ফাইনেল ইয়েৰৰ থিনিকতো ৰখাই থ'ব নোৱাৰে, সেইবাবেই ইন্টাৰনেটৰ পৃথিৱীত আৰম্ভ হৈছিল ক্লাছ। গুগল মিট, জুম আদি ভিডিঅ' কনফাৰেন্সিং এপবোৰৰ সহায়ত ক্লাছবোৰ চলি থাকিল। সময় বাগৰি আছে তেনেকৈয়ে। অনুৰণৰ লগত কথা নোহোৱায়েই হ'ল সন্ধ্যাৰ। কেতিয়াবা ৰাতি খুব বেছি আগৰ কথা মনত পৰিলে তাই মেচেজ দিয়ে,

"Bhale asa?"

বহু দেৰিৰ পাছত তাৰ উত্তৰ,

"O bhalei"

কেতিয়াবা আকৌ উত্তৰ নাহেই। মেচেজটো চাই থৈ দিয়ে। সন্ধ্যাই বুজি পায়। এৰা, উত্তৰ নহাটোও এটা উত্তৰ। সেইটো নিজে নিজেই বুজি ল'ব লাগে। নাই, একো অভিযোগ নাই সন্ধ্যাৰ। অনুৰণ নিজ ইচ্ছাৰে আঁতৰি গৈছে তাইৰ পৰা। তাইও জোৰ নকৰে কেতিয়াও। মাত্ৰ তাৰ ভালপোৱাখিনি সদায় জীয়াই ৰাখিব বুকুত। "মই আছোঁ"ৰ অৰ্থ যে মাত্ৰ পাঁচ বছৰৰ সেইটো সন্ধ্যাইও লাহে লাহে বুজি উঠিছে। নাজানে তাই, কি পাই মানুহে সলনি হৈ। একেদৰে থাকিলেনো কি হয়! সলনি হ'লে অকল বতৰহে ভাল লাগে।

"তেজপুৰ বিশ্ববিদ্যালয়ত স্থাপন কৰা হ'ব অস্থায়ী কোৱাৰেন্টাইন চেন্টাৰ"

Kaushik

খবৰটোৱে কঁপাই গৈছিল প্ৰতিজন ছাত্ৰ ছাত্ৰীৰ বুকু। ভাৰতৰ বিভিন্ন ঠাইত থকা প্ৰৱাসী অসমীয়া যুৱক যুৱতী সকলক এই দুৰ্যোগৰ সময়ত অসমলৈ ঘূৰাই অনাৰ পদক্ষেপ লৈছিল চৰকাৰে। কিন্তু তেওঁলোকক টেষ্ট কৰি চৈধ্য দিন নিলগাই থোৱাৰ বাবে কোৱাৰেণ্টাইন চেণ্টাৰ স্থাপন কৰিছিল ৰাজ্যৰ বিভিন্ন ঠাইত। সেইখিনিলৈকে ঠিকে আছিল। কিন্তু তেজপুৰ ইউনিভাৰ্চিটীৰ দৰে ক্লজ কেম্পাছৰ এখন শিক্ষানুষ্ঠানত য'ত ইতিমধ্যে বিদেশী ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীসকলো আছে, তাত কোৱাৰেণ্টাইন চেণ্টাৰ পাতিবলৈ লোৱাটো ভয়ংকৰ কথা নহয় নে! কিন্তু কোনে শুনিব কাৰ কথা। বহুতে বিৰোধ কৰিছিল যদিও নিৰ্মাণ হৈয়ে গ'ল কোৱাৰেণ্টাইন চেণ্টাৰ। কেইদিন মানৰ ভিতৰতে আহি গ'ল তালৈ নতুন মানুহ। অসহায় হৈ সকলোৱে চাই ৰ'ল মাত্ৰ হেঁপাহৰ চৌহদটোৰ নতুন ৰূপ।

বহাগ বিহু পাৰ হোৱাৰ পাছতো ক'ৰোনাৰ প্ৰকোপ কমাৰ কোনো নাম গোন্ধই নাই। এইবাৰৰ বিহুটোও একেবাৰে খালী খালীকৈ গ'ল। হুঁচৰিৰ মাতে এটাও কেনিও নুশুনি সন্ধ্যাৰ আইতাকে বাৰাণ্ডাতে বহি বিহুৰ দিনা গধূলি উচুপি উঠিছিল,

"এইবাৰ চোতালখন অশুচি হৈয়ে থাকিল"

কি কৰিব! একো উপায় নাই। ৰজাঘৰ প্ৰজাঘৰ সকলো অসহায়।

Kaushik

"ফাইনেল পৰীক্ষা অনলাইন হ'ব"

খবৰটো শুনাৰ দিনা কান্দোনত ভাঙি পৰিছিল সন্ধ্যা। কিয়, কিয় ইমান নিষ্ঠুৰ হৈছে এই সময়বোৰ। ইমান দূৰ্ভগীয়া নে সিহঁতৰ বেটছটো? ফেয়াৰৱেলতো বাদেই কাকোৱে "বাই" বুলি কোৱাৰো সুযোগ নাপালে সিহঁতে। অকল সন্ধ্যায়ে নহয়। প্ৰিয়াহঁতৰো একে অৱস্থা। ফোনত সেইবোৰ কথাকে পাতি কান্দি পেলাইছিল সিহঁতে। সেই যে প্ৰিয়াই কৈছিল, "এইয়াই শেষ যেন লাগিছে" , সেয়ে যেন সঁচা হৈছিল। পাঁচ বছৰ কিমানক যে সিহঁতে ফেয়াৰৱেল দিলে ঠিক নাই। কিন্তু এতিয়া নিজে ফেয়াৰৱেল দূৰতেই থাকিল কাকোৱে মাত এষাৰ লগাবলৈও সুযোগ নাপালে। বহু চেষ্টা কৰিও নিজক ৰখাব নোৱাৰি সন্ধ্যাই সেইদিনা অনুৰণলৈ ফোন লগাইছিল। কিন্তু সি নুঠালে। বহু দেৰিৰ পাছত হোৱাটছ এপত এটা মাত্ৰ মেছেজ,

"Phone korisila?"

একো উত্তৰ নিদিলে তাই। প্ৰচণ্ড অভিমান হৈছিল তালৈ। এনেকৈ সলনি হয় নে মানুহ? আচলতে সি তাইক ভাল পোৱাই নাছিল। সেই বৰষুণৰ সন্ধিয়াটো হয়তো এক আৱেগৰ বহিঃ প্ৰকাশ আছিল। তাৰ বাহিৰে একো নাই। আগৰ কথাবোৰ ভাবিলে যে সন্ধ্যাৰ কিবা সপোন সপোন যেন লাগে। ময়ূঁৰৰ মৃত্যুৰ পাছৰ পৰাই যেন সলনি হৈছিল সকলো। অভিমন্যুয়ে প্ৰায়ে ফোন কৰে সন্ধ্যালৈ। কিন্তু তাৰ আগত কোনো দিন অনুৰণৰ কথা নুলিয়াই তাই। সিও কিবা এটা বুজি পাইছিল নেকি, একো সোধা নাছিল তাৰ কথা।

পৰীক্ষা হৈ গ'ল তেনেদৰেই। ঘৰতে বহি পৰীক্ষা দি গুগল ক্লাছৰুমত জমা দিছিল উত্তৰ বহীৰ পিডিএফ। ডিজাৰটেশ্যনৰ ভাইভা হৈ গ'ল অনলাইন ভিডিঅ' কনফাৰেন্সত। আচৰিত ভাৱে যান্ত্ৰিক হৈ পৰিছিল জীৱনটো। ৰিজাল্টো দিলে তেনেকৈয়ে এদিন। কাৰো একো উছাহ নাই। সন্ধ্যাই ফাৰ্ষ্ট ক্লাছেই পালে। ৰিজাল্ট দিয়াৰ দিনা তাই আকৌ কান্দিছিল। পাঁচ বছৰীয়া স্মৃতিৰ এটি কাহিনীৰ ইমান কৰুণ সমাপ্তি যেন অসহ্য। তথাপি এটা কথাৰেই সান্তনা লৈছিল সিহঁতে, অন্ততঃ আন নহ'লেও কনভোকেচনটো পাম। তেতিয়াই আকৌ লগৰ সকলোকে লগ পাম। ইমানখিনি কষ্ট পোৱা এই বেটছটোক কনভোকেচনৰ সুখানুভূতিৰ পৰা অন্ততঃ মৰমৰ ইউনিভাৰ্চিটীখনে বঞ্চিত নকৰে। সন্ধ্যাহঁতৰ বিশ্বাস আছে। কিন্তু সিহঁতে হয়তো অনুমানো কৰিব পৰা নাছিল, য'তেই গভীৰ বিশ্বাস তাতেই নিৰ্মম আঘাত।

Kaushik

আচৰিত ধৰণে শেষ হৈছিল সন্ধ্যাহঁতৰ শেষৰটো ছেমিষ্টাৰ। কোনে ভাবিছিল, মাত্ৰ এক সপ্তাহৰ দৈৰ্ঘ্য যে গোটেই জীৱনৰ বাবে হ'ব। কোনে জানিছিল, মুখা পিন্ধাই ক'ৰোনাই যে সকলোকে সকলোৰে পৰা আঁতৰাই লৈ যাব। সময়ৰ পাকত আঁতৰি গৈছিল অনুৰণ। তথাপি সন্ধ্যাই মাজে মাজে তাৰ পুৰণা মেছেজবোৰকে চাই, তাৰ লাষ্ট চিনটো চাই। তেনেকৈ সেইদিনা চাবলৈ লওঁতে হঠাৎ তাই দেখে অনুৰণৰ লাষ্টচিন নাই। কিন্তু সিতো কেতিয়াও এনেকৈ হাইড নকৰে। আনকি তাৰ ফটোও দেখা নাই। তাইক বাৰু ব্লক কৰিলে নেকি? ধেৎ কি যে ভাবি আছে সন্ধ্যাই। অনুৰণে এইবোৰ যে নকৰে। তেন্তে? এবাৰ ক্লাছৰ গ্ৰুপটো চালে তাই। অনুৰণে লেফ্ট মাৰিছে। একে কোবে বহাৰ পৰা থিয় হ'ল তাই। অনুৰণ হোৱাটছ এপৰ বাহিৰে বেলেগ একো ছচিয়েল নেটৱৰ্কত নাই। এইবোৰৰ প্ৰতি একেবাৰেই নিৰাসক্ত সি। একো নভবাকৈ সন্ধ্যাই ফোন লগালে অনুৰণলৈ,

"The number you have dialed is currently switched off"

চুইছ অফ! তাৰ মানে? অনুৰণে নম্বৰ সলাই পেলাইছে? সকলোৰে পৰা একেবাৰে আঁতৰি গৈছে সি! কিন্তু কিয়? সেইদিনা উৰেতো নিশা কেৱল কান্দিছিল সন্ধ্যাই। কিয় অনুৰণ, কিয়? উত্তৰ নাছিল একো। সদায় থকাৰ দৰেই নীৰৱে সকলোৰে পৰা আঁতৰি গৈছিল অনুৰণ।

ইউনিভাৰ্চিটীৰ নটিছ ওলাইছিল আউট গয়িং বেটছৰ ষ্টুডেন্টে হোষ্টেল খালী কৰিব লাগে। প্ৰতিজন ষ্টুডেন্টক তাৰিখ আৰু সময় সীমা দি দিছে। আচৰিত, ইমান আৱেগহীন হ'ব পাৰে নে সময়। বুকুত শিল থৈ সন্ধ্যা সাজু হৈছিল সোৱণশিৰীৰ পৰা নিজৰ বস্তুবোৰ উভতাই আনিবলৈ। জুপিতৰা মেমে নটিছ ওলোৱাৰ এদিন পাছতে ফোন কৰিলে সন্ধ্যালৈ,

"তুমি এদিন থকাকৈ আহা সন্ধ্যা। আমাৰ ঘৰতে থাকিবা।"

এই মানুহ গৰাকীয়ে গোটেই পাঁচ বছৰ মৰমেৰে আৱৰি ৰাখিলে সন্ধ্যাক। এতিয়া বিদায়ৰ পৰতো যেন তেওঁ এৰিব খোজা নাই সন্ধ্যাক। হওঁক তেও, অলপ সকাহ পাইছিল সন্ধ্যাই। এটা নিশা কাঞ্চনৰ বুকুত কটাব পাৰিব তাই।

নিৰ্দিষ্ট সময় মতেই ইউনিভাৰ্চিটী পালেগৈ সন্ধ্যা। গেটখন খোলাৰ লগে লগে বুকুখন যেন মোচৰ খাই গৈছিল। সজল হৈ পৰিছিল চকুহাল। মৰিশালিৰ দৰে স্তব্ধতা চাৰিওফালে। ইমান প্ৰাণচঞ্চল চৌহদটো নিতাল মাৰিছিল। কেনিও নাই গাভৰু হাঁহিৰ কোঁহাল। সমুখৰ দোকান প্ৰায়বোৰেই বন্ধ। এমেনিটীত গোটেই সৰাপাতেৰে ভৰ্তি। ধূলিয়ে পুতি পেলাইছে টেবুল কেইখন। সন্ধ্যা আগবাঢ়িছিল। কাঞ্চনজংঘাৰ পুলটো পাই ৰৈ গৈছিল তাই। ক'ত তাইৰ মৰমৰ পুলটো? গোটেই পুলটো ঢাকি ধৰিছে এসোপা মান গছ লতাই। ফিল্ডখনতো গোটেই জংঘল। আৰু essential, দিনে নিশাই হাঁহিৰে জীপাল হৈ থকা essential ত আজি কেৱল শূণ্যতা। সৌৱা এচুকত ওভোটাকৈ পৰি আছে ঘূৰণীয়া টেবুল কেইখন। চকী কেইখনত শুকান সৰাপাত। উস, নোৱাৰি। নোৱাৰি চাব মৰমৰ চিনাকি চহৰখনৰ এই অচিনাকী ৰূপ। খৰখোজেৰে সন্ধ্যা সোৱণশিৰী পালেগৈ। উফ, কেতিয়াও ইমান শান্ত নাছিল সোৱণশিৰী। নীৰৱতাও যে কেতিয়াবা অসহ্য হৈ পৰে, তাই আজি বুজিছে।

"ভালে আছা আইজনী?"

Kaushik

মালতী মাহীয়ে আগুৱাই আহি কৈছিলহি। সন্ধ্যাই আঁকোৱালি ধৰিছিল তেওঁক। মাহীৰ লগ লাগিয়ে ৰুমটো আঁতোৱাত লাগিল সন্ধ্যা। বস্তুবোৰ লাহে লাহে বেগত ভৰালে। ৱাৰ্ড্ৰবটো খুলি উলিয়াইছিল কাপোৰৰ লগতে আন আন বস্তুবোৰ। বাৰে বাৰে ভৰি আহিছে চকু। এনেকৈ শেষ হয়নে সময়!

"আইজনী, এইখন কি তলত পেলাই থৈছা।"

বিচনাৰ তলটো চাফা কৰি থাকোঁতে হঠাৎ মাহীয়ে ক'লে। সন্ধ্যাই ঘূৰি চাই দেখে সেই তাইৰ ডায়েৰিখন। অনুৰণে একো নিলিখাৰ বাবে যে তাই দলিয়াই দিছিল। এতিয়া আৰু সেইখন উভতাই নিয়াৰ অলপো মন নাই তাইৰ। সেইবাবেই ক'লে,

"পেলাই দিয়ক মাহী।"

মাহীয়ে বাহিৰলৈ ডায়েৰিখন লৈ গ'ল। যাওঁতে কৈ গ'ল,

"ৱাহ, কোন নীৰৱ হে? একদম চিঠি লিখি থৈছে যে।"

নীৰৱ? চিঠি? চঁক খাই উঠিল সন্ধ্যা। দৌৰি গ'ল তাই,

"মাহী, ৰ'ব চোন।"

বাহিৰত ৰ'ল মাহী। আগুৱাই যোৱা সন্ধ্যালৈ আগবঢ়াই দিলে,

"এইখন লোৱা। একেবাৰে শেষৰ পাতটোত কিবা লিখা আছে।"

কঁপিছিল সন্ধ্যাৰ হাতখন। তথাপি ডায়েৰিখন লৈ মোকলাই চালে তাই। একেবাৰে শেষৰ পাত দুটাত লিখা আছে দীঘলকৈ কিবা। কাৰোবাৰ সৰু সৰু হাত আখৰ। সন্ধ্যাই পঢ়ি গ'ল,

"তেজপুৰ ইউনিভাৰ্চিটীত সেইদিনা মোৰ প্ৰথম দিন, নতুনকৈ চিনাকি হোৱা ময়ূঁৰ আৰু অভিমন্যুৰ লগত গেটৰ বাহিৰত চিগাৰেট খাই আছিলোঁ। হঠাৎ চকুত পৰিল ছোৱালী এজনী। বৰ মৰম লগা। আমাৰ কাষতে ৰৈ আছে। চিগাৰেটৰ গোন্ধত অশান্তি পাইছে তাই। কিয় জানো চিগাৰেটটো পেলাই দিলোঁ মই। তাই লগৰ জনীৰ লগত ভিতৰলৈ গ'ল। মোৰ লাগিছিল তাইও যেন চাব খুজিছিল মোলৈ....."

চকুৰ পলক জপাবলৈ পাহৰি গৈছিল সন্ধ্যাই। ভাহি উঠিছিল ইউনিভাৰ্চিটৰ প্ৰথম দিনটো। বিদিশা বাৰ লগত যাওঁতে সেই যে ছিগাৰেট পেলাই দিয়া ল'ৰাটো, তাৰ মানে সি--!

Kaushik

"আইজনী, ৰৈ গ'লা যে?"

মাহীৰ মাতত সম্বিত ঘূৰিল সন্ধ্যাৰ। ডায়েৰি খন জপাই লগত ল'লে তাই। খৰধৰকৈ বস্তুবোৰ সামৰিলে। বাহিৰত জুপিতৰা মেম নিবলৈ আহিছিল তাইক গাড়ী লৈ। এবাৰ সোৱণশিৰীখন চাই সন্ধ্যা নামি আহিল। বস্তুবোৰৰ সৈতে মেমৰ কোৱাটাৰ পালেগৈ।

সন্ধিয়া এন্ধাৰ হোৱাৰ পাছতে সন্ধ্যা এবাৰ খোজকাঢ়ো বুলি ওলাই আহিল। মেমৰ সৰু ছোৱালীজনীয়ে আহোঁ বুলি কৈছিল যদিও মেমে নিদিলে। হয়তো তেওঁও বুজি পাইছিল কাঞ্চনবোৰৰ লগত অলপ সময় নিৰলে কটাব খুজিছে সন্ধ্যাই। লগত তাই সেই ডায়েৰিখন লৈ আহিল। চাৰিওফালে কেৱল নিশ্চুপ হৈ যেন শুই আছে চৌহদটো। খৰখোজেৰে কাঞ্চনজংঘাৰ পুলটোত বহিলগৈ সন্ধ্যা। হাতেৰে চিঙি পেলাইছিল লতাবোৰ। সমুখৰ ফিল্ডখনত আজি একো হাই উৰুমি নাই। হোষ্টেলৰ পৰাও ভাহি অহা নাই কাৰোবাৰ কিৰিলি। মাত্ৰ ৰাস্তাৰে এখন দুখন গাড়ী পাৰ হৈছে মাজে মাজে। সন্ধ্যাই মেলি ল'লে ডায়েৰিৰ পাত,

".....পাছত গম পালোঁ সেই ছোৱালীজনী মোৰ ক্লাছমেট। ডিপাৰ্টমেণ্টত মোৰ পৰা হোৱাইটনাৰ খোজা ছোৱালীজনী, সেইজনী তুমি সন্ধ্যা। লাভ এট ফাৰ্ষ্ট চাইটৰ অৰ্থ বুজি নাপাওঁ, কিন্তু প্ৰথম দেখাতে কিবা এটাই টানি নিছিল মোক তোমালৈ। যেন বহু দিনৰ চিনাকি। তুমি গান গোৱা, খুব ধুনীয়া। সেই গানেৰেই আমাৰ প্ৰথম কথা পতা। তোমাৰ গানৰ ভিডিঅ' মোৰ মোবাইলত। কেইবাৰ যে চালোঁ সেইটো হিচাপ নাই। কিন্তু তোমাৰ সমুখত মই বোবা হৈ যাওঁ। একো ক'ব নোৱাৰোঁ। হয়তো সেইবাবেই কৌশিকে তাইক কৰা অন্যায়ৰ ভিডিঅ'টো নিজে কৰিও অভিমন্যুয়ে কৰা বুলি ক'বলৈ দিছিলোঁ....."

বুকুৰ শব্দ বাহিৰলৈকে আহিছে সন্ধ্যাৰ। তাৰ মানে সেই ভিডিঅ'টো অনুৰণে কৰা? চকুৰ পানী মচি তাই আকৌ পঢ়িলে,

"....অভিমন্যু আৰু তুমি ৰিলেশ্যনত আহিলা। মই জানো এইয়া প্ৰেম নহয়, তথাপি তোমাক আনৰ সৈতে দেখি বুকুখন অলপ বিষাইছিল সন্ধ্যা। তথাপি আঁতৰৰ পৰাই চাইছিলোঁ। ভালপোৱা মানেতো কাঢ়ি অনা নহয়। এদিন তুমি বুজিলা। আৰু অভিমন্যুৰ লগত আগৰ দৰে বন্ধু হ'লা। তাৰ পাছতো মই কোৱাৰ সাহস গোটাব নোৱাৰিলোঁ জানা। সময়ৰ সোঁতত অনুৰাধা আহিল। কিয় নাজানোঁ তুমি আঁতৰি গৈছিলা। মই

Kaushik

তোমাৰ খং, ঘৃণা চব সহ্য কৰিব পাৰোঁ সন্ধ্যা। কিন্তু তুমি আঁতৰি যোৱাটো সহ্য নহয়..."

চকুৰ পানীৰ টোপালে তিয়াইছিল পাতটো। সন্ধ্যাই আকৌ মচি ল'লে,

"....সকলো ঠিক হৈছিল তাৰ মাজতেই ময়ূঁৰ গুছি গ'ল। পিকনিকলৈ যোৱাৰ আগদিনা ৰাতি মোক ময়ূঁৰে কৈছিল, সম্পৰ্কবোৰক সময় থাকোঁতেই মূল্য দিয়া। কাৰণ তাজমহল পৃথিৱীয়ে হে দেখিছিল মমতাজে নহয়। মইও ঠিৰাং কৰিছিলোঁ তোমাক সকলো ক'ম। কিন্তু সময়েই ইমান নিষ্ঠুৰ আছিল যে একো কোৱাই নহ'ল। তোমাৰ লগত সেই সন্ধিয়াটো মনত আছে নে সন্ধ্যা? মোৰ জীৱনৰ আটাইতকৈ শ্ৰেষ্ঠ সময় সেয়া। ক'ম বুলিও থাকি যোৱা কথাৰ সুযোগ তুমি আজি নিজেই দিলা। ইয়াতে লিখি দিলোঁ বুকুৰ সকলো নোকোৱা বতৰা। সন্ধ্যা সঁচাকৈ কৈছোঁ, তোমাক খুব ভাল পাওঁ জানা। বহুত বেছি। মই জানো তুমিও পোৱা, ইমান দিনে নোকোৱাকৈয়ে হে আছিল সকলো কথা। সন্ধ্যা, সঁচাকৈ কোৱা। সদায় মোৰ হৈ থাকিবা? ইতি, তোমাৰ "নীৰৱ"।

Kaushik

উশাহ ৰৈ গৈছে সন্ধ্যাৰ। চকুৰে বৈ অহা ঢলক ৰখাব পৰা নাই তাই। কিয়, ইমান কিয় অসাৱধান আছিল তাই? এবাৰ যদি শেষৰ পাতটো চালে হয়। অনুৰণৰ নিচিনা অনুভৱ প্ৰকাশ কৰিবলৈ ভয় কৰা ল'ৰাটোৱে এইখিনি কথা লিখাৰ পাছত যেতিয়া অৱজ্ঞা পাব; তেতিয়া আঁতৰি কিয় নাযাব। মনত পৰিছে সন্ধ্যাৰ, অনুৰণে যে সুধিছিল ডায়েৰি পঢ়িলা নে, একো নোকোৱা নে বুলি! আৰু তাই অভিমানেৰে উত্তৰ দিছিল, কিবা ক'বলৈ ৰাখিলা জানো। উস্, কিমান কষ্ট হৈছিল চাগে তাৰ। কিমান কষ্টত প্ৰিয়জনৰ পৰা আঁতৰি যাব পাৰে মানুহ। পাঁচ বছৰ মৰমৰ প্ৰতিদান কি দিলে তাক সন্ধ্যাই! কেৱল কষ্ট আৰু কাকো বুজাব নোৱাৰা দুখ। কান্দোনত ভাঙি পৰিছে সন্ধ্যা। বাউলী হৈ কান্দিছে তাই ডায়েৰিখন বুকুত সাৱটি। তাইয়ে দিছিল এদিন তাক "নীৰৱ" নামটো। নীৰৱে নীৰৱেই মৰম দি আঁতৰি গ'ল তাইৰ অনুৰণ। ধুমুহাই কোবোৱা গছজোপাৰ দৰে বাউলী হৈ সশব্দে কান্দিছে সন্ধ্যাই। প্ৰতিটো উশাহত যেন আজি সাৰ পাইছে অনুৰণৰ অনুভৱে। বৰষুণ পৰিছিল কিনকিনকৈ। সন্ধ্যাৰ ভ্ৰুক্ষেপ নাছিল। ডায়েৰীখন সাৱটি কেৱল অশ্ৰুৰ ঢলত উটি গৈছে তাই। কান্দিছে, কেৱল কান্দিছে। ৰাস্তাৰে পাৰ হৈ যোৱা গাড়ী এখনত লগাই গৈছে বুদ্ধজ্যোতি নামৰ ইউনিভাৰ্চিটীৰে ল'ৰা এজনে লিখা আৰু সান্নিধ্য ভূঞাৰ কন্ঠৰ গীতটি,

"....নীৰৱতাৰ এধানি মৰম যেন শেষ ধুমুহাৰ কঁহুৱা,

বৰষাৰ জুৰীয়া সুবাসে

প্ৰণয়ৰ সুৰেৰে জোকালে

জড়তাৰ উদাসী হেঁপাহত

এজাক উশাহে সাৰ পালে...."

(আগলৈ)

#নিৰিবিলি

(অন্তিম খণ্ড)

কৃষ্ণ বিৰহৰ বেদনা গোটেই বৃন্দাবনে সহিছিল, কিন্তু বিচ্ছেদৰ অগনিত অকল ৰাধাহে জ্বলিছিল। প্ৰেমৰ আঘাতো মিঠা বুলি কোৱা হয়, কিন্তু আঘাত কিমান গভীৰ সেয়া কেৱল নিজৰ লগত হ'লেহে বুজা যায়। প্ৰেম, ই যেন নিজতেই অসম্পূৰ্ণ। পাইও হেৰুৱাৰ বেদনা কি সেয়া ৰাধাই জানে, সকলো পাইও একো নোপোৱাৰ যন্ত্ৰণা কি সেয়া ৰুক্মিণীয়ে বুজে। কোন নো সুখী হৈছিল প্ৰেমত, কালৰ পৰিহাসত মহাকালৰ প্ৰেমো দেখোন বাৰে বাৰে বিচ্ছেদ হৈয়ে জ্বলে।

বিচ্ছেদৰ জুইত তিলতিলকৈ জ্বলিছিল সন্ধ্যা। পুৰি পুৰি শেষ হৈছিল অনুভূতিবোৰ। হাঁহিৰে উৰণিৰে সকলো কষ্ট ঢাকি যন্ত্ৰৰ দৰে চলি গৈছিল কেৱল। শিকিছিল সন্ধ্যাই যে কিছুমান সম্পৰ্কৰ নাম নাথাকে, থাকে মাথোঁ এক অব্যক্ত কাহিনী। অনুৰণো সন্ধ্যাৰ বাবে তেনে এটি আধৰুৱা কাহিনী হৈ থাকি যাব চিৰকাল। চিৰদিন।

সন্ধ্যাৰ অভিমানত ভৰ দি আঁতৰি যোৱা অনুৰণক বুকুত লৈয়ে উভতি আহিছিল সন্ধ্যা ঘৰলৈ। কৰিছিল, পাৰে মানে চেষ্টা কৰিছিল তাই। সেই ডায়েৰীখন পঢ়াৰ পিছদিনা ৰাতিপুৱাই পাটকাই ওলাইছিলগৈ অনুৰণৰ খবৰ বিচাৰি। তাতে পুটুকণে ক'লে,

"অনুৰণ দা তো কেতিয়াবাই চব বস্তু লৈ মেলি গুছি গ'ল ইয়াৰ পৰা।"

অভিমন্যুলৈ ফোন লগাইছিল সন্ধ্যাই। কিজানি অনুৰণৰ আন কিবা নম্বৰ আছেই, নাই তাৰ ওচৰতো নাই একো। সকলো পথ যেন অনুৰণে নিজেই বন্ধ কৰি দিছিল। দোষ নিদিয়ে তাক সন্ধ্যাই, দোষ তাইৰ। নজনাকৈয়ে হওঁক, অনুৰণক তাইয়ে থেলি পঠালে।

Kaushik

তথাপি, মগজুটোৱে জানে, কিন্তু হৃদয়খনে যে নামানে। সেয়ে ক'ৰবাত মনটোৱে কৈছিল সন্ধ্যাৰ, অনুৰণ আহিব। নিজৰ ওপৰত নাথাকিলেও অনুৰণৰ ভালপোৱাৰ ওপৰত সন্ধ্যাৰ বিশ্বাস আছিল। তাইৰ হৃদয়ে কৈছিল কেনেবাকৈ হ'লেও অনুৰণক লগ পাব তাই। আৰম্ভ হ'ব সিহঁতৰ নতুন কাহিনী।

লাহে লাহে অসহ্য হৈ উঠিছিল সময়বোৰ। ঘৰখন যেন বন্দী কাৰাগাৰৰ দৰে অনুভৱ হৈছিল। ৫ বছৰ হ'ল সন্ধ্যাই তাত পঢ়া। যোৱা বছৰবোৰত এনেকুৱা বহু দিন পাৰ হৈছে, যেতিয়া "কিয় ইয়ালৈ আহিছিলোঁ" বুলি খণ্ডত সন্ধ্যাহঁত গুজৰি উঠিছিল। বহু সময় এনেকুৱা গৈছে, যেতিয়া "ঘৰ কেতিয়া যাম" বুলি কান্দো কান্দো হৈছিল। কিন্তু সকলো শেষ হোৱাৰ পিছত হে যেন সিহঁতবোৰে বুজি পাইছে সেই চৌহদটোৰ মায়া আচলতে কি। হয়, প্ৰেচাৰ বহুত থাকে, ফ্ৰাষ্ট্ৰেচন আহে, কেতিয়াবা বহুত বেছি ডিপ্ৰেছ হোৱা যায়। কিন্তু সেইবোৰৰ পৰা ওলোৱাৰ পথো তাৰ সেউজীয়াবোৰেই দিয়ে। তাৰ বতাহবোৰেই দি যায়। শান্তি এক আচৰিত শান্তি। সন্ধিয়া হ'লেই কাৰোবাৰ লগত চৌহদটোত এপাক ঘূৰা, চিনাকি মুখবোৰে মাত লগোৱা, দুই এষাৰ কথা। কেতিয়া চুপতি, কাৰোবাৰ লগত ধেমালি। কেতিয়াবা ৰাতি শূণ্য পথটোত কোনোবাই চিঞৰি দিয়ে, "নতুন ফাগুণ মোৰ নামি আহা"। ওচৰত চিনাকি কোনোবা থাকিলে লগে লগেই চিঞৰে, "দুচকুতে নামি চুমা দিয়া"। অকলে ৰাতি ফিল্ডখনত বহা, সেউজীয়াৰ মাজে মাজে দৌৰা। জোনটোৰ লগত কথা পতা। আৰু, আৰু সেই নাহৰ জোপা যে। কাঞ্চনজংঘাৰ পুলটোত বহি কি কি যে কয় সন্ধ্যাই। চব শুনে, বুজি পাই, কেতিয়াবা পাত এখিলাও সৰায়। বুজায়। জীৱনটো জীয়াবলৈ আওৰাই। আকৌ কেতিয়াবা গালি দিয়ে, "ইমান ডিপ্ৰেছিং এই কেম্পাছটো" বুলি টাউনখনলৈ ওলাই যায় সিহঁত। মেগনলিয়াৰ ৰঙা নীলা লাইটবোৰৰ মাজত জীৱনটো জোখে। আকৌ উভতে।

কিন্তু আজি পৰা নাই। বহু দিন জোনটো চোৱা নাই, কাঞ্চনৰ ফুল দেও দি চিঙা নাই। পুলত বহি গছজোপালৈ চাই কন্দা নাই। বকুল শেৱালি বুটলা নাই। হয়, সিহঁত এতিয়া ঘৰত আছে। নিজৰ ঘৰত। কিন্তু তাৰ মাজতো যেন সেই তেজপুৰৰ চেঁচা বতাহ জাক বিচাৰে। নিয়মীয়া ক্লাছৰ কামোৰ বোৰ লাগে। এপাহ কাঞ্চন লাগে, কজলা জোনটো লাগে, কান্দিবলৈ। কথা পাতিবলৈ। মানুহ নালাগে সন্ধ্যাক। বতৰৰ দৰে দিনটোতে সলনি হোৱা মানুহ নালাগে। মাত্ৰ সেউজীয়া খিনি লাগে। কাঞ্চনৰ চহৰখন আজি পোহৰেৰে ব্যস্ত। কিন্তু তাত সন্ধিয়াৰ মায়াখিনি লাগে। মানি ল'ব পৰা নাছিল

Kaushik

সন্ধ্যাই, যে সঁচাই সিহঁতৰ ইউনিভাৰ্চিটীৰ দিনবোৰ শেষ। না এটা ফেয়াৰৱেল না কিবা। উফ, ইমান প্ৰতাৰণা সময়ৰ। সঁচাই, ভবাতকৈও অধিক ভয়াৱহ আছিল সময়। অভিনেতাৰ পৰা ৰাজনৈতিক নেতা লৈকে কোনো সাৰি নগ'ল নিয়তিৰ শেন চকুৰ পৰা। সৌ সিদিনা কত জীৱন শেষ কৰি দাও দাওকৈ জ্বলিল বাঘজান। চাৰিওফালে যেন মৃত্যুৰ কিৰিলি। অসহ্য, অসহ্য এই ২০২০। কঠিন সময়বোৰৰ মাজতে সন্ধ্যাহঁতৰ বুকুত শেল মাৰি যোৱাকৈ ওলাইছিল খবৰটো, এইবাৰ ইউনিভাৰ্চিটীৰ কনভোকেচন অকল স্বৰ্ণ পদকধাৰী আৰু গৱেষক ছাত্ৰ ছাত্ৰীকহে দিব। কন্দা নাছিল সন্ধ্যাই, হতাশ হৈছিল। নম্বৰৰ তুলাচনীত সিহঁতৰ আৱেগবোৰ ওজনহীন হৈ সৰি পৰা দেখি কষ্ট পাইছিল। দুখ পাইছিল ইমান ভালপোৱা ইউনিভাৰ্চিটীখনৰ এই কঠোৰ সিদ্ধান্তত। কিন্তু উপায়ো যে নাই, কাৰণ TU এনেকুৱাই।

আজি আকৌ তিনিমাহৰ পাছত ইউনিভাৰ্চিটী আহিছে সন্ধ্যা। প্ৰভিজনেল চাৰ্টিফিকেট নিবলৈ। গেটৰ বাহিৰৰ দোকানবোৰ খুলিছে পুনৰ। নাই, আগৰ দৰে উছাহ, আৱেগ একো নাই তাইৰ। কেৱল আহিব লাগে বাবেহে আহিছে। আচলতে তাই পাহৰিব হে খোজে ইউনিভাৰ্চিটীৰ কিছুমান কাহিনী। কাৰণ বুকুখন থেকেচি থকা স্মৃতিতকৈ পাহৰণি বহু গুণে শ্ৰেষ্ঠ।

"মানুহ নাই, অলপ পাছত আহা।"

এডমিনিষ্ট্ৰেটিভ বিল্ডিঙত কঠুৱা মাতেৰে কথাটো কৈ আঁতৰি গ'ল মানুহজন। কথাত বিৰক্তিৰ সুৰ স্পষ্ট। নাই, বেয়া লগা নাই সন্ধ্যাৰ। সিহঁতৰ শেষ আশাটোও ভাঙি চূৰমাৰ কৰা শিক্ষানুষ্ঠানখনৰ পৰা ইয়াতকৈ বেছি আশাও নকৰে তাই। বিল্ডিংটোৰ পৰা ওলাই সোৱণশিৰীৰ ফালেই খোজ ল'লে তাই। মালতী মাহীহঁত আছে চাগে। এপাক লগ কৰি অহা যাওঁক।

নীলা ৰঙৰ প্ৰকাণ্ড হোষ্টেলখনৰ সমুখত ৰৈ অলপ সময় চালে সন্ধ্যাই। এইমাত্ৰ যেন ভাহি আহিব হাঁহিৰ খলকনি। বতাহ উৰাই যেন পাৰ হৈ যাব এজাক চঞ্চল যৌৱন। উস, কি অসহ্য।

"মাজনী, কেতিয়া আহিলা?"

Kaushik

মালতী মাহী কোন সময়ত ওচৰ পালেহি সন্ধ্যাই গমকে নাপালে। সজল চকুহাল মোহাৰি সন্ধ্যাই ক'লে,

"অলপ আগত মাহী। প্ৰভিজনেল নিবলৈ আহিছিলোঁ। মানুহজন নাই হেনো।"

"আহা ভিতৰলৈকে" বুলি মাহীয়ে মাতি নিলে তাইক। ভিতৰৰ মুখৰ ৰুমটোতে বহিল গৈ। বেগটো থৈ সন্ধ্যাই সুধিলে,

"খবৰ কওঁকচোন মাহী"

"খবৰ কি ক'ম আই? যোৱা ইমান বছৰে সদায় তোমালোকক গালিয়ে পাৰিলোঁ হুলস্থুল কৰাৰ কাৰণে, এতিয়া ভাবোঁ সেই হুলস্থুলবোৰ আকৌ শুনিব পৰা হ'লে। ৰাতি ৰাতি চিঞৰবোৰ, বিহুবোৰ আকৌ যদি কোনোবাই গালেহেঁতেন।"

মাতটো থোকাথুকি হৈ ৰৈ গ'ল মালতী মাহী। চাদৰৰ আগেৰে মচিলে বৈ অহা চকুপানী। তাৰ পাছতে ফেঁকুৰি ফেঁকুৰি আকৌ ক'লে,

"ৰাতি যেতিয়া এই শান্ত হোষ্টেলখন দেখোঁ বুকুখন কিবা এটা বিষাই অ' আইজনী।"

কৈ কৈ হুকহুকাই কান্দিছিল তেওঁ। সন্ধ্যাই আঁকোৱালি ল'লে মাহীক। মূৰত হাত ফুৰাইছিল তাই,

"নাকান্দিব মাহী। চব ঠিক হ'ব লাহে লাহে। আকৌ নতুন নতুন মুখ আহিব। আকৌ ভৰি যাব আমাৰ সোৱণশিৰী।"

অলপ শান্ত হৈছিল মাহী। অলপ সময় কথা পাতি সন্ধ্যাই ক'লে,

"মাহী, বেয়া নাপাই যদি মই আৰু বিদিশা বা থকা পুৰণা ৰুমটো এবাৰ চাব পাৰিম নেকি?"

মাহীয়ে এবাৰ ইফালে সিফালে চাই ফুচফুচাই ক'লে,

"কাকো নক'বা। মনে মনে যোৱা, মই ছাবিটো দিওঁ।"

কথাটো কৈ অফিচ ৰুমৰ পৰা ছাবিটো আনি দিলেহি। সন্ধ্যা উঠি গ'ল ৰুমটোৰ ফালে। ৰুম নম্বৰ ১৩২।

দুৱাৰখন খুলি একেথৰে চাই থাকিল সন্ধ্যাই। এইমাত্ৰ যেন বিদিশা বা ওলাই আহি ক'ব,

Kaushik

"ঐ, ক'ত আছিলি হা ইমান সময়? বস্তু এটা আনিছোঁ তোলৈ।"

নহ'লে যেন দৌৰি ওলাই আহিব পখী,

"ঐ সন্ধ্যা, তোৰ লগত ডাঙৰ কথা এটা আছে। আজি কি হ'ল জাননে?"

সৌৱা ঘোটাৰ নিচাত যেন তাই বিদিশা বা আৰু ৰীণা বাই নাচিহে আছে ৰুমটোত,

"ভাং খাই পগলা হ'লা হে মহাদেৱ"

ৰৈ থাকিব নোৱাৰি এসময়ত ৰুমটোৰ দুৱাৰখনতে হাওলি পৰিল সন্ধ্যাই। সশব্দে কান্দি উঠিল তাই। সময়বোৰক উভতাব পৰা হ'লে। অলপ ৰৈ উঠি আহিল তাই। মালতী মাহীক মাত লগাই ওলাই আহিল সোৱণশিৰীৰ পৰা।

"আহি থাকিবা আইজনী" মাহীয়ে থোকাথুকি মাতেৰে কৈছিল। সোৱণশিৰীৰ সমুখত সন্ধ্যাই এবাৰ মাটিখিনি চুই সেঁৱা এটা কৰিলে। বহুত দিলে তাইক এই ঘৰখনে। বহুত শিকালে। দীঘলকৈ উশাহ এটা টানি ওলাই আহিল সন্ধ্যা।

Kaushik

Essentialৰ সমুখৰ বাছষ্টেণ্ডৰ কাষৰ কাঞ্চন জোপা এতিয়া লঠঙা। ৰংবোৰ নাই তাত। শেঁতা হুঁমুনিয়াহ পেলাইছিল সন্ধ্যাই। তাৰ পৰা গৈ এপাক নিৰিবিলিত বহিল। শান্ত নিৰিবিলি। সদায়ৰ দৰেই। পানীৰ কুলু কুলু শব্দটো একেই আছে। লগতে দুই এটা চৰাই। অলপ বহি উঠি আহিল সন্ধ্যা। শেষ বাৰৰ বাবে বহিলগৈ তাইৰ বিশেষ ঠাই টুকুৰাত। কাঞ্চনজংঘাৰ পুলটো। ময়ূঁৰলৈ মনত পৰিছিল তাইৰ। এবাৰ কেনেবাকৈ লগ পোৱা হ'লে তাক। চকুপানী বৈ আহিছিল আকৌ। অস্ফুট মাতেৰে কৈছিল তাই,

"পাৰা যদি উভতি আহা না ময়ূঁৰ"

এজাক বতাহে কোবাই গৈছিল সন্ধ্যাক। মেলা চুলিকোঁচা খেলি মেলি হৈ পৰিছিল। গছৰ পাতৰ আঁৰেৰে বৈ অহা ৰ'দালিয়ে জিলিকাই তুলিছিল সন্ধ্যাৰ ডিঙিৰ কৃষ্ণৰ লকেটটো।

উঠি আহিল সন্ধ্যা। আগবাঢ়ি গৈ থাকিল বাহিৰৰ ফালে। এবাৰ পাটকাইলৈ চালে। সমুখত সৌৱা নেমুজোপা। এই মাত্ৰ যেন অভিমন্যুৰ চিঞৰটো শুনিব তাই। নাই, আজি পাটকাইও যেন সাৰে নাই। কমিউনিটি হলৰ সমুখত পুনৰ থমকিল সন্ধ্যাৰ দুভৰি। তাই যেন শুনা পাইছে এজাউৰি হাত চাপৰি আৰু এজাক তেজাল চিঞৰ,

"Once more once more"

"C for CMH"

"NMH rocks"

"আকাশ নীলা সাগৰ নীলা

আমি হ'লো বৰদৈচিলা"

"পাটকাই পাটকাই" ইত্যাদি ইত্যাদি।

উদং ষ্টেজটোলৈ চালে সন্ধ্যাই। সৌজনী যেন তাই। ঘূৰি ঘূৰি নাচিছে,

"বৰষা পথাৰত অ' ভনীটি ৰহেদৈ,

হালে বাই আছিলোঁ এহালি দমৰা লৈ"

মুখখন ঢাকি উচুপি উঠিল সন্ধ্যাই। শেষ, সকলো শেষ। সিহঁতবোৰৰ চিঞৰবোৰ, হাঁহিবোৰ ইয়াৰ দেৱালত প্ৰতিধ্বনিত হৈ ৰৈ যাব চিৰকাল।

কমিউনিটী হলৰ পৰা আগুৱাই গৈ কেবিআৰৰ সমুখত ৰ'ল সন্ধ্যা। কত নাটকৰ চৰিত্ৰক বুকুত সাৱটি সৌৱা নিশ্চুপ আজি প্ৰেক্ষাগৃহ। উশাহটো যেন ল'ব পৰা নাই সন্ধ্যাই। খৰ খোজেৰে আঁতৰি গ'ল তাই।

Kaushik

"সন্ধ্যা, ঐ সন্ধ্যা"

শ্বপিং কম্প্লেক্সত চিনাকি মাতটো শুনি উভতি চালে সন্ধ্যাই। পিছফালৰ পৰা আহি থকা চন্দ্ৰালীয়ে সাৱটি ল'লেহি তাইক,

"ইচ ৰাম, লগ যে পালোঁ।"

"ভাল নে চন্দ্ৰা বা?"

"আছোঁ দিয়া। ব'লা মহামায়ালৈ যাওঁ। বকুল দা আছেই চাগে।"

সিহঁত দুইজনী মহামায়া পালেগৈ। সন্ধ্যাক দেখিয়েই গৰগৰাই উঠিল বকুল দাই,

"এনে মানুহ তই, ইউনিভাৰ্চিটী শেষ হ'ল বুলি ককায়েৰক পাহৰি গ'লি। ফোন এটাও নাই।"

প্ৰশান্ত দাই চাহ দুকাপ আনিলেগৈয়ে। চাহত চুমুক দি কথা পাতিবলৈ লাগিছিল সিহঁত। দীঘলকৈ উশাহ এটা টানি বকুল দাই ক'লে,

"ইউনিভাৰ্চিটীখন একদম খালী খালী হৈ যাব অ'।"

চন্দ্ৰালীয়েও ক'লে,

"সঁচাই সন্ধ্যা। খুব বেয়া লাগিব জানা নে।"

"মই আহি থাকিম বা।" সন্ধ্যাই কৈছিল।

অলপ সময় কথা পাতি সন্ধ্যা যাবলৈ ওলাল। এডমিনিষ্ট্ৰেটিভৰ মানুহজন আহিল চাগে। বকুল দাক সেৱা এটা কৰিলে তাই। বকুল দাই সন্ধ্যাক মূৰত হাত ফুৰাই ক'লে,

"ঈশ্বৰে চাগে নিজে সৃষ্টি কৰা বস্তুবোৰ খুব সুন্দৰকৈ অনুভৱ কৰিব পৰা কাৰোবাক বিচাৰিছিল, সেইবাবে তোক সৃষ্টি কৰিলে। পঞ্চল্লিছ বছৰীয়া জীৱনটোত তোৰ নিচিনা ইমান পবিত্ৰ মনৰ মানুহ নাপালোঁ মই। এনেকৈয়ে থাকিবি সদায়।"

এটোপাল চকুলোৰে সন্ধ্যা আঁতৰি আহিছিল। চন্দ্ৰালীয়েও যোৱাৰ আগত ক'লে,

"সদায় এইদৰেই থাকিব পাৰিম নে নাই নাজানোঁ সন্ধ্যা, কিন্তু যেতিয়াই ক'ৰবাত এপাহি সৰাফুল বুটলি ল'ম তেতিয়াই তোমালৈ মনত পৰিব।"

মৰমেৰে সন্ধ্যাৰ কঁপালত চুমা এটা আঁকি দি গুছি গৈছিল চন্দ্ৰালী। গধূৰ বুকুখনেৰে সন্ধ্যা সোমালগৈ এডমিনিষ্ট্ৰেটিভ বিল্ডিংটোৰ ভিতৰত।

"ৰোলনং কিমান আছিল তোমাৰ?"

মানুহজনে ফাইলবোৰ আনি সন্ধ্যাক সুধিলে। উশাহটো টানি লৈ ক'লে সন্ধ্যাই,

"ই জি আই ফিফটিন...."

ফাইলবোৰৰ পৰা কাগজ এখন উলিয়াই আনি সন্ধ্যাৰ হাতত দিলে তেওঁ। প্ৰভিজনেল চাৰ্টিফিকেট। কাগজ টুকুৰাই যেন চিঞৰি চিঞৰি কৈছে সন্ধ্যাক, "ইয়াতে শেষ সকলো"।

"ছাৰ, কোচন মানিৰ ফৰ্মখন ক'ত দিম?"

Kaushik

সন্ধ্যাৰ প্ৰশ্নত কাষৰ ৰুম এটালৈ আঙুলিয়াই মানুহজন আঁতৰি গ'ল। কোচন মানি, ওলাই যোৱা ষ্টুডেন্টে ইউনিভাৰ্চিটীৰ ফালৰ পৰা ছহেজাৰ টকা এটা পায়। তাৰেই ফৰ্ম। সন্ধ্যাই লিখি আনিছে। মাত্ৰ ছাবমিট কৰিলেই হ'ল। মানুহজনে দেখুৱাই দিয়া ৰুমটোত গৈ তাত থকা মানুহগৰাকীক ফৰ্মখন দি ওলাই আহিছিলহে তাই। মানুহগৰাকীয়ে পিছফালৰ পৰা মাত দিলে,

"এক্সকিউজ মী, আপোনাৰ এইটো ভুল হৈ আছে।"

সন্ধ্যা উভতি গ'ল। কিবা এটা লিখাত ভুল হ'ল। ছেঃ তাইও যে মানে। কাগজখন লৈ সমুখৰ ৰুমটো পালেহি সন্ধ্যা। বহল ৰুমটো বাওঁফালে চোফা এযোৰ আছে এখন টেবুলৰ সৈতে। সন্ধ্যা তাতে বহি শুদ্ধ কৰাত লাগিল। ভাগ্যে হোৱাইটনাৰটো বেগত আছিল বুলিহে। নহ'লে আকৌ দোকানলৈ দৌৰিব লাগিল হয়। হোৱাইটনাৰেৰে মচি পুনৰ লিখিবলৈ ল'লে তাই। এৰা, জীৱনটোতো এটা হোৱাইটনাৰ থকা হ'লে। ভুলবোৰ মচিব পৰা হ'লে।

"এক্সকিউজ মী, হোৱাইটনাৰ হ'ব নেকি?"

কোনোবা ল'ৰা এটাই মাতিলে। লিখাৰ পৰা মূৰ নোঠোৱাকৈ সন্ধ্যাই হোৱাইটনাৰটো উঠাই দিলে। ল'ৰাজনে লৈ আঁতৰ হ'ল। এক মিনিট মানৰ ভিতৰতে পুনৰ দি গ'লহি "থেংকচ" বুলি কৈ। সন্ধ্যা লিখাত ব্যস্ত। লিখি হোৱাৰ পাছত হোৱাইটনাৰটো বেগত ভৰাবলৈ লৈ হঠাৎ চঁক খাই উঠিল সন্ধ্যাই।

"এক্সকিউজ মী, হোৱাইটনাৰ হ'ব নেকি?"

এই শাৰীটো! এই শাৰীটোৰেইতো আৰম্ভ হৈছিল সকলো। কোনে, কোনে খুজিছিল তাইৰ হোৱাইটনাৰ। ছেঃ ল'ৰাটোলৈ মুখ উঠাই নাচালেওঁ তাই। চোফাখনৰ পৰা উঠি আহিল সন্ধ্যা। বিল্ডিংটোৰ বাৰাণ্ডাতে ৰৈ আছে ওখকৈ ল'ৰা এটা। হাঁহি বিৰিঙি উঠিল সন্ধ্যাৰ। হয়, অনুৰণেই হ'ব লাগিব। একেলৰে তাৰ ওচৰ পাই মাতিলে সন্ধ্যাই,

"অনুৰণ"

ল'ৰাজনে উভতি চালে। সন্ধ্যাৰ হাঁহিটো মাৰ গৈছিল। কাৰণ ল'ৰাজন অনুৰণ নহয়।

"ছৰী, মোক কিবা কৈছিল নেকি?" ল'ৰাজনে সুধিলে। কঁপা কঁপা মাতেৰে সন্ধ্যাই ক'লে,

Kaushik

"মোৰ পৰা হোৱাইটনাৰ আপুনি আনিছিল নেকি?"

"হয়, মইয়ে আনিছিলোঁ।"

চকুযোৰ পুনৰ সজল হৈ উঠিছিল সন্ধ্যাৰ। কি ভাবিছিল তাই? অনুৰণ উভতি আহিছে বুলি? সময় ইমান প্ৰসন্ন নহয় তাইৰ প্ৰতি। আঁতৰি আহিবলৈ লৈছিল সন্ধ্যা। তেনেতে ল'ৰাজনে আকৌ ক'লে,

"বাই দা ৱে, মই খুজিছিলোঁ হোৱাইটনাৰ। কিন্তু মোক খুজিবলৈ সেই ল'ৰাজনে হে কৈছিল।"

বুকুখন ধিপিংকৈ উঠিল সন্ধ্যাৰ।

"কোন ল'ৰা? ক'ত আছে?"

"সৌ জন" বুলি আঙুলিয়াই দেখুৱালে ল'ৰাটোৱে মেইন গেটৰ ফালে। পিঠিত বেগটো লৈ মেইন গেটৰ ফালে খোজকাঢ়ি গৈ আছিল অনুৰণ। হয়, অনুৰণ। সন্ধ্যাৰ অনুৰণ। চিনি পাইছে সন্ধ্যাই। সেই একে গম্ভীৰ খোজ। একেই বেগ। লাহে লাহে ইউনিভাৰ্চিটীৰ গেটখন পাৰ হ'ল অনুৰণ। বাৰাণ্ডাৰ পৰা নামি আহি চিঞৰি উঠিল সন্ধ্যাই,

"অনুৰ----ণ"

গেটৰ বাহিৰত ৰৈ গৈছিল অনুৰণ। ঘূৰি চাইছিল সি। সেই একেই শান্ত চাঁৱনি। সন্ধ্যাৰ চিঞৰত ছিকিউৰিটীবোৰেই চাইছিল। নাই, কাৰোলৈও ভ্ৰূক্ষেপ নকৰে আজি সন্ধ্যাই। সকলো পাহৰি গেটৰ ফালে দৌৰি গ'ল সন্ধ্যা। মেলা চুলিখিনিয়ে ফাগুণৰ দৰে নাচিছে। পাতলকৈ বলা বতাহ ছাটিয়ে যেন মিলনৰ মালিতা জুৰিছে। ৰাস্তাৰ দুয়োকাষৰ নাহৰবোৰে বতাহত জোৰকৈ হালিছিল। দীঘল ৰাস্তাটোৰে দৌৰি গৈছিল সন্ধ্যা। সিফালৰ পৰা আহি থকা গাড়ীখন নিজে নিজেই ৰৈ গৈছিল। গেটখন পাৰ হৈ অনুৰণক সাৱটি ধৰিছিল সন্ধ্যাই। মূৰটো গুজি দিছিল তাৰ বুকুৰ মাজত। লগে লগেই কান্দোনবোৰ বৈ আহিছিল পাৰ ভঙা চকুলো হৈ। কান্দি কান্দি কৈছিল তাই,

"কিয় অনুৰণ, কিয়? যদি লিখিয়েই ক'ম ভাবিছিলা শেষৰ পাতত লিখাৰ কি দৰকাৰ আছিল কোৱা। আৰু এনেকৈ একো নোকোৱাকৈ মানুহ আঁতৰি যায় নেকি?"

একো কোৱা নাছিল অনুৰণে। মাত্ৰ জোৰকৈ সাৱটি ধৰিছিল সন্ধ্যাক। বৈ আহিছিল তাৰো চকুপানী। বহুত পৰীক্ষা দিলে সিহঁতে। আৰু অপেক্ষা কৰিব নোৱাৰে।

Kaushik

"এখেত এনেকুৱাই সন্ধ্যা। একো নোকোৱাকৈয়ে আঁতৰে।"

কাৰোবাৰ মাত শুনি সন্ধ্যাই উভতি চালে। সিহঁতৰ ওচৰতে হাঁহি হাঁহি ৰৈ আছে অনুৰাধা।

"অনুৰাধা, তুমি?" সন্ধ্যা আগুৱাই গ'ল। অনুৰাধাই তাইৰ চকুপানী মচি দি ক'লে,

"চবতে বিচাৰিলা অনুৰণক। কিন্তু কিয় পাহৰি গ'লা যে মই এই গৰুটোৰ ক্লাছমেট আছিলোঁ। অভিমন্যুৰ পৰাহে গম পালোঁ কথাখিনি। তেতিয়াই ইয়াৰ ঘৰ ওলালোঁগৈ মই। গালি পাৰি পাৰি লৈ আনিছোঁ। ইমান ভাল পাই, অথচ কথাবোৰ নোকোৱাকৈ এইবোৰ কৰিছে।"

এতিয়াহে মনত পৰিল সন্ধ্যাৰ, অনুৰাধাই মাজতে তাইলৈ ফোন কৰি প্ৰভিজনেল কেতিয়া আনিবলৈ যাব সুধিছিল। আৰু অভিমন্যু, সি যে তলে তলে এইবোৰ কৰি আছে সন্ধ্যাই যে গমেই পোৱা নাছিল। অনুৰাধাৰ ফোনটো বাজিল। অভিমন্যুয়ে কৰিছে। ৰিচিভ কৰি লাউডত দিলে তাই।

"কি হ'ল অনুৰাধা, আমাৰ ঊষা অনিৰুদ্ধ কেইটাৰ মহামিলন হ'ল নে নাই?"

তাৰ কথাত হাঁহি উঠিল গোটেই কেইটাই।

"ফটুৱা। মোক নোকোৱাকৈ এইবোৰ কৰি আছিলি ন?" সন্ধ্যাই ক'লে।

"য়েচ বেবী। পিছে অনুৰণক পাই মোক পাহৰি নাযাবি আকৌ। এও অনুৰণ, গুড লাক ব্ৰ'। আজিৰ পৰা এৰাল দিয়া গৰু তুমি।"

হাঁহিৰ জোৱাৰ উঠিছিল সিহঁতৰ মাজত। লাজতে তলমূৰ কৰিছিল অনুৰণে। অভিমন্যুয়ে ফোনটো থোৱাত অনুৰাধাই সন্ধ্যাৰ হাতত ধৰি ক'লে,

"সন্ধ্যা, কৈছিলোঁ ন, অনুৰণৰ ৰাধা আৰু ৰুক্মিণী দুয়োজনীয়েই তুমি। যোৱা, সামৰি ৰাখা এতিয়া তোমাৰ কৃষ্ণক।"

সন্ধ্যাই মিচিকিয়া হাঁহিৰে অনুৰণলৈ চাইছিল। অনুৰণে ক'লে,

"থেংক ইউ অনুৰাধা। তুমি নথকা হ'লে মই সন্ধ্যাক ঘূৰাই নাপালোঁ হয়।"

"আছোঁতো মই, নে কি কোৱা সন্ধ্যা।"

অনুৰাধাৰ কথাত আকৌ হাঁহিৰ কিৰিলি উৰিছিল।

Kaushik

"তোমালোক ৰোৱা মই ভিতৰলৈ যাওঁ দেই। লগ পাম।" বুলি আঁতৰি গ'ল অনুৰাধা।

সন্ধ্যাৰ কঁকালত ধৰি ওচৰলৈ চপাই আনিলে অনুৰণে। চকুত পৰি থকা চঞ্চল চুলি কেইডাল আঁতৰাই দিলে। তাৰপিছত তাৰ মুখখন সন্ধ্যাৰ কাণৰ কাষলৈ নি সৰু সৰু মাতেৰে গাইছিল,

"ভবাই নাছিলোঁ মোৰ দৰে

তোমাৰ বুকুৰ সপোনবোৰো যে সাৰে থাকে"

"যাহ, বেয়া পাইছোঁ বহুত।" বুলি সন্ধ্যাই মৃদু ভাৱে ঘোঁচা এটা মাৰিলে অনুৰণৰ বুকুত। অনুৰণে হাঁহি মাৰি কৈছিল,

"কিয়? অভিমান কৰাৰ অধিকাৰ অকল তোমাৰ হে আছে?"

"অভিমানৰ নামত এনেকৈ কষ্ট দিয়ে নেকি?"

অনুৰণে একো নকৈ মাত্ৰ বুকুৰ মাজত সাৱটি লৈছে সন্ধ্যাক। যেন বুকুৰ উমেৰে নোহোৰা কৰি দিব তাইৰ অতদিনৰ বুকুৰ বিষবোৰ। সৰু মাতেৰে সন্ধ্যাই ক'লে,

"মেইন গেটত আছোঁ আমি অনুৰণ। দেখি আছে চবেই।"

"দেখক। এৰি নিদিওঁ আজি।"

"অকল এনেকেই থাকিবা নে কিবা ক'বা?"

সন্ধ্যাৰ কথাত অনুৰণ আকৌ নিমাত। তাৰ গভীৰ চকুযোৰলৈ চাই সন্ধ্যাই ক'লে,

"আৰু কিমান লুকুৱাবা ৰণ! এবাৰতো কৈ চোৱা।"

শান্ত মাতটোৰে ক'লে অনুৰণে,

"মই জানো, আৰু তুমিও জানা। ইমান দিনে একো নোকোৱাকৈয়েতো হৈ আছিল সকলো কথা।"

"আজিতো কোৱা।"

"তেন্তে শুনা"

Kaushik

অনুৰণে আঁকোৱালি বুকুত সাৱটি ধৰি থকা সন্ধ্যাই যেন শুনা পাইছে অনুৰণৰ বুকুৰ প্ৰতিটো স্পন্দন। হয়তো অনুৰণেও উমান পাইছে তাইৰ ঘন ঘন উশাহবোৰ। লাহে লাহে অনুৰণে ক'লে,

"তোমাক মই ভাল পাওঁ সন্ধ্যা। বহুত ভাল পাওঁ। আগৰ পৰাই।"

চকুপানীবোৰ যাযাবৰী হৈ বাগৰিছে সন্ধ্যাৰ। লগতে অনুৰণৰো। সন্ধ্যাইও ক'লে,

"মইও অনুৰণ। সদায় থাকিবা মোৰ লগত?"

"থাকিম সন্ধ্যা। আছোঁতো মই।"

"যদি মই হেৰাই যাওঁ?"

"হেৰাই গ'লে বিচাৰি আনিম। সলনি নহ'বা মাত্ৰ, তেতিয়া কি কৰিম।"

"নহওঁ ৰণ, কেতিয়াও নহওঁ।"

সন্ধ্যা সোমাই পৰিছিল অনুৰণৰ বহল বুকুত। হৃদয়ৰ সমস্ত উত্তাপেৰে আঁকোৱালি লৈছিল সন্ধ্যাক অনুৰণে। শেষ হৈছিল পাঁচ বছৰীয়া এটা অপেক্ষাৰ। নতুনকৈ কাঞ্চন ফুলিছিল অনুৰণ সন্ধ্যাৰ জীৱনত। উচুপি থকা সময়বোৰে মিচিকিয়াই উঠিছিল। বতাহতো বাজিছিল যেন প্ৰণয়ৰ সংগীত। এইদৰেই আৰম্ভ হৈছিল অনুৰণ আৰু সন্ধ্যাৰ সেউজীয়া কাহিনী। অনুৰণৰ বুকুৰ উমত জিৰণি লৈছিল সন্ধ্যাই। ওচৰৰ দোকানখনৰ পৰা ভাহি আহিছিল কবি মৈত্ৰেয়ী পাটৰ আৰু কণ্ঠশিল্পী শংকুৰাজৰ বিশেষ গীতটি,

"উভতাই আনিলা,

জীয়াই তুলিলা

মোক জীয়াই তুলিলা,

মোক জীয়াই তুলিলা,

এই ৰিক্ত বুকুতে বাসনা ঢালিলা,

মোৰ তেজে তেজে শিৰে শিৰে

বোৱালা প্ৰেমৰ অলকানন্দা"

Kaushik

আৰম্ভ হ'লেতো শেষ নিশ্চয় হয়। কিন্তু শেষৰ পৰা যি আৰম্ভণি হয়, তাৰ শেষ কেতিয়াও নহয়।

(সমাপ্ত)

Kaushik